অসম সাহিত্য সভাৰ ভাষণাৱলী

পঞ্চম খণ্ড

(১৯৭৩ ৰ পৰা ২০০৫ খ্ৰীষ্টাব্দলৈ)

(অসম সাহিত্য সভাৰ সভাপতি সকলৰ ভাষণৰ সংকলন)

সংকলন আৰু সম্পাদনা

সতীশ চন্দ্ৰ চৌধুৰী

ড° প্ৰদীপ ভূঞা

মুখ্য পৰিবেশক

কিৰণ প্ৰকাশন, ধেমাজি

অসম সাহিত্য সভা

ASAM SAHITYA SABHAR BHASANAVALI, Vol.-V : A collection of twentynine Presidential Addresses of the Asam Literary Conferences from 1973 Session to 2005 Session, compiled and edited by Satish Ch. Choudhury and Dr. Pradip Bhuyan, publised by Naba Kalita, Kiran Prakashan, Dhemaji, on behalf of Dr. Pradip bhuyan, General Secretery, Assam Sahitya Sabha. First Edition: 8th March, 2008 Price: 400/- Only

অসম সাহিত্য সভাৰ ভাষণাৱলী
(পঞ্চম খণ্ড)

সংকলন আৰু সম্পাদনা :
সতীশ চন্দ্ৰ চৌধুৰী
ড° প্ৰদীপ ভূঞা

প্ৰকাশক :
ড° প্ৰদীপ ভূঞা,
প্ৰধান সম্পাদক
অসম সাহিত্য সভাৰহৈ
নৱ কলিতা, কিৰণ প্ৰকাশন, ধেমাজি

প্ৰথম প্ৰকাশ : ০৮ মাৰ্চ, ২০০৮ খ্ৰীঃ

অসম সাহিত্য সভা

মূল্য : ৪০০.০০ টকা

বেটুপাত : অৰুণ নাথ

ছপা :
ধেমাজি অফছেট প্ৰিণ্টাৰ্চ
বতলগুৰি, ধেমাজি
ফোন-৯৪৫৩০ ৮৯৩৭৭

প্রধান সম্পাদকৰ একাষাৰ

অসম সাহিত্য সভাৰ প্ৰকাশনে সভাৰ মাননীয় সভাপতিসকলৰ মুকলি-অধিবেশনত পাঠ কৰা ভাষণবোৰ একত্ৰিত কৰি চাৰিটি খণ্ডত যুগুতাই প্ৰকাশ কৰিছে। চতুৰ্থটি খণ্ড প্ৰকাশ হোৱাৰ পাছত সাহিত্য সভাই 'ভাষণাৱলী' পঞ্চম খণ্ডটি যুগুত কৰি প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অসমৰ জাতীয় জীৱনৰ পুৰোধা ব্যক্তিসকলৰ অন্যতম অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিসকলে সংশ্লিষ্ট সভাৰ অধিবেশনসমূহৰ 'মুকলি অধিবেশন'ত পাঠ কৰা সভাপতিৰ ভাষণসমূহে অসমৰ জাতীয় জীৱন তথা জাতীয়-সংহতিৰ কথাৰ লগতে অসমৰ বাইজৰ প্ৰকৃত সমন্বয়-সংহতি আৰু ভ্ৰাতৃত্ববোধৰ বাণীৰে অসমৰ ভাষা-সাহিত্য, কলা-সংস্কৃতিৰ ঐতিহ্যৰ বৰ্ণনা দিছে। প্ৰতিটো ভাষণেই একোটি দীঘলীয়া মূল্যবান আৰু এই সমূহৰ সাহিত্যিক মূল্যও উৰ্ধত। ভাষা প্ৰয়োগৰ অধ্যয়ন আৰু অনুশীলনৰ কাৰণেও এই ভাষণাৱলীয়ে দিছে বিশুদ্ধ পথ। আশা কৰিছোঁ, ভাষণাৱলীৰ এই খণ্ডটিয়েও সাহিত্যপ্ৰেমীলৈ প্ৰভূত অৱদান আগবঢ়াব পাৰিব। ভাষণাৱলী পঞ্চম খণ্ডটি প্ৰকাশৰ দিশত সভাৰ মাননীয় সভাপতি কনকসেন ডেকা আৰু উপ-সভাপতি মাননীয় সতীশ চন্দ্ৰ চৌধুৰীৰ লগতে সভাৰ প্ৰকাশন সমিতি আৰু কাৰ্যনিৰ্বাহক সমিতিৰ ওচৰত আমি কৃতজ্ঞ। এই গ্ৰন্থখনিৰ প্ৰকাশৰ দায়িত্ব লোৱা বাবে ধেমাজিৰ 'কিশল প্ৰকাশন'ৰ স্বত্বাধিকাৰীৰ প্ৰমুখে কৰ্মকৰ্তা সকললৈও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অনুভৱ কৰিছোঁ, বৰ্তমান সময়ত এনে 'ভাষণাৱলী' প্ৰকাশৰ প্ৰাসংগিকতা আছে। নিশ্চয়কৈ সাহিত্যপ্ৰেমী বাইজে গ্ৰন্থখন সমাদৰ কৰিব। অসম সাহিত্য সভাই বৰ্তমান বৰ্ষত প্ৰধান সম্পাদকসকলৰ বাৰ্ষিক প্ৰতিবেদন সমূহকো একত্ৰিত কৰি প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আমি সাহিত্যপ্ৰেমী বাইজৰ সহযোগ কামনা কৰিছোঁ।

'চিৰ চেনেহী মোৰ ভাষা জননী'

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট - ৭৮৫ ০০১
২৪ ফাগুন, ১৪১৪ ভাস্কৰাব্দ
০৮ মাৰ্চ, ২০০৮ খ্ৰীষ্টাব্দ

ড° প্ৰদীপ ফুকন
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

সংকলক সম্পাদকদ্বয়ৰ নিবেদন

উত্তৰ-পূৰাঞ্চলৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ অসমৰ জাতীয় জীৱনলৈ থকা অবিহণা অতিকে গুৰুত্বপূৰ্ণ আৰু সবাতো উৰ্ধত। অসমৰ জাতীয় সংহতি সুদৃঢ়কৰণৰ লগতে ভাষা-সাহিত্য সংস্কৃতিৰ উত্তৰণৰ হকে অহোপুৰুষাৰ্থ কৰি অহা এই জাতীয় অনুষ্ঠানটি অসমবাসীৰ কাৰণে অতি চেনেহৰ আৰু হিয়াৰ আমঠু স্বৰূপ। ১৯১৭ খ্ৰীষ্টাব্দৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে সাহিত্য সভাৰ সভাপতিৰ আসন অলঙ্কৃত কৰা অসমৰ জাতীয় জীৱনৰ পুৰোধা ব্যক্তি তথা প্ৰথিতযশা সাহিত্যিক সকলৰ জীৱন আৰু কৃতীয়ে অসমৰ জাতীয় জীৱনক মহীয়ান কৰি বিশেষ অৱদান আগবঢ়াই আহিছে। অসম সাহিত্য সভাৰ অধিৱেশনসমূহৰ 'মুকলি অধিৱেশন' সমূহত মাননীয় সভাপতি সকলে আগবঢ়োৱা ভাষণসমূহ লিপিবদ্ধ ভাৱে প্ৰকাশ পায় আৰু সভাৰ কাৰ্যালয়ত তেনে ভাষণবোৰ সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা আছে। আকৌ যিসময়ৰ পৰা অধিৱেশনৰ বাৰ্ষিকী প্ৰকাশ পাইছে; সেই সময়ৰ পৰা তেনে গ্ৰন্থবোৰতো অসম সাহিত্য সভাৰ মাননীয় সভাপতি সকলৰ ভাষণবোৰ প্ৰকাশ পাইছে। সাহিত্য সভাৰ প্ৰকাশ সমিতিয়ে এনে 'ভাষণাৱলী'ৰ গুৰুত্বলৈ লক্ষ্য কৰি সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হৈ থকা কালতে প্ৰথম-খণ্ড ভাষণাৱলী যুগুতাই প্ৰকাশ কৰা হয়। অসম সাহিত্য সভাৰ ভাষণাৱলীঃ প্ৰথম-খণ্ড আৰু দ্বিতীয় খণ্ডত প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঁঞি বৰুৱাৰ পৰা বেনুধৰ শৰ্মালৈকে ২৫ গৰাকী মাননীয় সভাপতিৰ অভিভাষণ সন্নিবিষ্ট হৈছে। প্ৰথম-খণ্ডত বাৰটি অভিভাষণ আৰু দ্বিতীয় খণ্ডত তেৰটি অভিভাষণ ছপা হৈছে। ড° মহেশ্বৰ নেওগ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হৈ থাকোতে অতুলচন্দ্ৰ হাজৰিকা আৰু যতীন্দ্ৰ নাথ গোস্বামীৰ যুটীয়া সম্পাদনাত তৃতীয় - খণ্ড প্ৰকাশ পায়। পুনৰ ১৯৭২-৭৩ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত মৰ্মে সেই বৰ্ষৰ প্ৰধান সম্পাদক যতীন্দ্ৰ নাথ গোস্বামীৰ সম্পাদনাত 'অসম সাহিত্য সভাৰ ভাষণাৱলী : চতুৰ্থ খণ্ড'টি প্ৰকাশ পায় আৰু এইখণ্ডত সভাৰ সভাপতি পদ্মধৰ চলিহাৰ পৰা আৰম্ভ কৰি হেম বৰুৱালৈকে তেৰ গৰাকী সভাপতিৰ অভিভাষণ সংযোগ হৈছে।

অসম সাহিত্য সভাই বৰ্তমান বৰ্ষত (২০০৭-০৮ বৰ্ষ) পূৰ্বৰ কাৰ্যকালতে সিদ্ধান্ত হৈ থকা অনুসৰি ভাষণাৱলীৰ পঞ্চম খণ্ডটি সংকলন আৰু সম্পাদনা কৰ্মৰ দায়িত্ব আমালোকৰ ওপৰত ন্যেস্ত কৰে। এই বাবে সভাৰ মাননীয় সভাপতি কনকসেন ডেকা, সভাৰ প্ৰকাশন সমিতি আৰু কাৰ্যনিৰ্বাহক সমিতিৰ ওচৰত আমি কৃতজ্ঞ। এই খণ্ডত ১৯৭৩ খ্ৰীষ্টাব্দৰ পৰা ২০০৫ খ্ৰীষ্টাব্দলৈকে ২৯ গৰাকী সভাপতিৰ ভাষণাৱলী সন্নিবিষ্ট হৈছে। এনে সংকলনত মাননীয় সভাপতি সকলৰ চমু জীৱন - পৰিচিতি সংযোগ কৰা হৈছে। ভাষণাৱলী সম্পাদনাৰ ক্ষেত্ৰত তিনিগৰাকী লেখকে সভালৈ বিশেষ ভাৱে সহযোগ আগবঢ়াইছে বিশেষকৈ সভাপতি সকলৰ জীৱনীৰ বিষয়ে চমু লেখা যুগুতাই দি। বিশিষ্ট সাহিত্যিক সমীৰণ কলিতাৰ লগতে উদীয়মান লেখক মনজিৎ বাজখোৱা আৰু ধ্ৰুবাৰ্ক চৌধুৰীয়ে তেনে দিশত সহায় আগবঢ়োৱাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছোঁ। সভাৰ কেউটি কাৰ্যালয়ৰে কৰ্মচাৰীসকলেও এই খণ্ডটি সম্পাদনা কৰোঁতে সহায় কৰিছে আৰু সাংবাদিক পঙ্কজ দত্তৰ সহযোগো উল্লেখযোগ্য। আমি এই সুযোগতে সদৌটিলে শলাগ যাচিছোঁ। অসম সাহিত্য সভাই প্ৰকাশ কৰা 'অসম সাহিত্য সভাৰ ভাষণাৱলী : পঞ্চম খণ্ড'ৰ ছপাৰ কামত প্ৰকাশন সহযোগী হৈ ধেমাজিৰ 'কিৰণ প্ৰকাশনে' বিশেষ অবিহণা আগবঢ়াইছে। এই প্ৰকাশনৰ স্বত্বাধিকাৰী প্ৰমুখ্যে কৰ্মকৰ্তা সকলৰলৈও আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আশা কৰিছোঁ, গ্ৰন্থখন পঢ়ুৱৈ বাইজে সমাদৰ কৰিব।

'চিৰ চেনেহী মোৰ ভাষা জননী'

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট - ৭৮৫ ০০১
২৪ ফাগুন, ১৪১৪ ভাস্কৰাব্দ
০৮ মাৰ্চ, ২০০৮ খ্ৰীষ্টাব্দ

সতীশ চন্দ্ৰ চৌধুৰী
ড° প্ৰদীপ ভূঞা
সংকলক সম্পাদকদ্বয়
অসম সাহিত্য সভাৰ ভাষণাৱলী : পঞ্চম খণ্ড

সূচীপত্র

সভাপতিসকলের জীবন-পঞ্জী	পৃষ্ঠা
গিরিধর শর্মা	১
ডঃ মহেশ্বর নেওগ	৩
ডঃ সত্যেন্দ্রনাথ শর্মা	৬
যজ্ঞেশ্বর শর্মা	৮
চৈয়দ আব্দুল মালিক	১০
প্রসন্নলাল চৌধুরী	১৩
অতুল চন্দ্র বরুৱা	১৫
যতীন্দ্রনাথ গোস্বামী	১৭
সীতানাথ ব্রহ্মচৌধুরী	১৯
ডঃ বীরেন্দ্রকুমার ভট্টাচার্য্য	২১
যোগেশ দাস	২৪
বীরেন বরকটকী	২৬
ডঃ মহেন্দ্র বরা	২৮
কীর্ত্তিনাথ হাজরিকা	৩০
মহিম বরা	৩২
নবকান্ত বরুৱা	৩৪
ডঃ নির্মলপ্রভা বরদলৈ	৩৬
লক্ষ্মীধর চৌধুরী	৩৮
ডঃ ভূপেন হাজরিকা	৪০
ডঃ লীলা গগৈ	৪২
হিতেশ ডেকা	৪৪
ডঃ লক্ষ্মীনন্দন বরা	৪৬
ডঃ নগেন শইকীয়া	৪৯
চন্দ্রপ্রসাদ শইকীয়া	৫১
হেমেন বরগোহাঞি	৫৩
ডঃ বীরেন্দ্রনাথ দত্ত	৫৫
কনকসেন ডেকা	৫৭

সভাপতিসকলৰ ভাষণাৱলী	পৃষ্ঠা
গিৰিধৰ শৰ্মা	৬৩
ড° মহেশ্বৰ নেওগ	৮১
ড° সত্যেন্দ্রনাথ শৰ্মা	১১৯
যজ্ঞেশ্বৰ শৰ্মা	১৩১
চৈয়দ আব্দুল মালিক	১৪৫
প্রসন্নলাল চৌধুৰী	১৬৯
অতুল চন্দ্র বৰুৱা	১৭৯
যতীন্দ্রনাথ গোস্বামী	২০৭
সীতানাথ ব্রহ্মচৌধুৰী (তিনিচুকীয়া)	২২৪
সীতানাথ ব্রহ্মচৌধুৰী (বাংছিনা নগৰ, ডিফু)	২৪০
ড° ৰীৱেন্দ্রকুমাৰ ভট্টাচার্য	২৫২
যোগেশ দাস	২৭২
ৰীৱেন ৰৱকটকী	২৮৪
ড° মহেন্দ্র ৰৱা	২৯৮
কীর্তিনাথ হাজৰিকা	৩২৮
মহিম ৰৱা	৩৪৮
নৱকান্ত বৰুৱা	৩৭০
ড° নির্মলপ্রভা ৰৱদলৈ	৩৮৪
লক্ষ্যধৰ চৌধুৰী	৩৯৫
ড° ভূপেন হাজৰিকা	৪০৩
ড° লীলা গগৈ	৪২১
হিতেশ ডেকা	৪৩২
ড° লক্ষ্মীনন্দন ৰৱা	৪৫৭
ড° নগেন শইকীয়া (ৰিলাসীপাৰা)	৪৭৪
ড° নগেন শইকীয়া (হাওৰাঘাট)	৫০২
চন্দ্রপ্রসাদ শইকীয়া	৫১৯
হোমেন ৰৱগোহাঞি	৫৩৬
ড° ৰীৱেন্দ্রনাথ দত্ত	৫৫৪
কনকসেন ডেকা	৫৭১


অসম সাহিত্য সভাৰ
সভাপতি সকলৰ জীৱন-পঞ্জী

(১৯৭৩ ৰ পৰা ২০০৫ খ্ৰীষ্টাব্দলৈ)



অসম সাহিত্য সভা

গিৰিধৰ শর্মা



অসমীয়া সমাজৰ বিশিষ্ট শিক্ষাবিদ, অসাধাৰণ কর্মপটু আৰু বিচক্ষণ সংগঠক গিৰিধৰ শর্মাৰ জন্ম হয় ১৯১২ চনৰ ৩০ জুলাই তাৰিখে পূৰণি কামৰূপ জিলাৰ নলবাৰী অঞ্চলৰ ককয়া গাঁৱত। পূৰণি অসমীয়া সাহিত্যৰ অন্যতম কৃতি গীতিকাৰ গোবিন্দ মিশ্ৰৰ সুযোগ্য বংশধৰ শর্মাৰ পিতৃৰ নাম বাধাকান্ত শর্মা আৰু মাতৃ দলমীপ্ৰিয়া দেবী। ১৯২০ চনত পিতৃ-বিয়োগ ঘটা শর্মাই অশেষ কষ্ট আৰু পৰিশ্ৰমৰ মাজেৰে আৰম্ভ কৰিছিল তেওঁৰ বিশাল আয়তনিক জীৱন যাত্ৰা। স্কুল কলেজৰ মজিয়া নগচকাই সৰস্বতীৰ বিদ্যামন্দিৰৰ আগদুৱাৰেদি ভিতৰ নোসোমোৱাকৈ ব্যক্তিগত প্ৰচেষ্টা আৰু দক্ষতা অধ্যৱসায় সহায়তে তেওঁ শিক্ষা জগতৰ বিভিন্ন পৰীক্ষাৰ দুৱাৰেদি সুখ্যাতিৰে উত্তীৰ্ণ হৈ অৱশেষত স্নাতকোত্তৰ মহলাত বিশেষ কৃতিত্বৰ পৰিচয় দিছিল। ১৯৩৩ চনত তিনিটা বিষয়ত সম্মান সহ চামতা হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈয়েই শর্মাই গছিয়া প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰে। ১৯৩৫ চনত ককয়া চতুষ্পাঠী (পিছত ললিতচন্দ্ৰ স্মৃতিতীৰ্থৰ টোল)ৰপৰা ব্যাকৰণৰ উপাধি পৰীক্ষাত প্ৰথম হৈ স্বৰ্ণপদক অৰ্জন কৰা শর্মাই সাবিত্ৰীবাণী দেবীৰ সৈতে যুগ্ম জীৱনৰ পাতনি মেলে আৰু নৰ্মাল পঢ়িবলৈ যোৰহাটলৈ যাত্ৰা কৰে। ১৯৩৭ চনত নৰ্মাল পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাটৰ পৰা উত্তৰি আহি গছিয়া এম. ভি. স্কুল আৰু নলবাৰী ছোৱালী এম. ই. স্কুলত পুনৰ শিক্ষকতা আৰম্ভ কৰে। ১৯৩৯ চনত তেওঁ নগাঁলেণ্ডৰ কহিমাত গৈ পোনতে এম ই. আৰু পিছত হাইস্কুলত শিক্ষকতা আৰম্ভ কৰে আৰু সমান্তৰালকৈ আই এ পৰীক্ষাত প্ৰাইভেট পৰীক্ষাৰ্থীৰূপে প্ৰথম বিভাগত ১৯৪০ চনত উত্তীৰ্ণ হয়। ১৯৪৩ চনত ধুবুৰী হাইস্কুলত শিক্ষকতা কৰি থাকিয়েই প্ৰাইভেটকৈ শর্মাই স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪৮ চনত উত্তৰ লক্ষীমপুৰ হাইস্কুলত শিক্ষকতা কৰি থকা কালছোৱাত পুনৰ প্ৰাইভেটকৈ দ্বিতীয় শ্ৰেণীৰ

স্নাতকোত্তৰ মহলাত সুখ্যাতিৰে শিক্ষা-জীৱনৰ সমাপ্তি ঘটায়। ১৯৫০ চনত গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত অধ্যাপনা কৰি থকা সময়তে শর্মাই কটন কলেজত অসমীয়াৰ অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে। ১৯৫৮ চনত অপৰিসীমা শ্ৰম আৰু প্ৰচেষ্টাৰ বিনিময়ত আৰ্যবিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় আৰু আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় স্থাপন কৰি শর্মাই অসমৰ শিক্ষা জগতত এক সোণালী অধ্যায়ৰ সংযোজনা কৰে। ১৯৬২ চনত কটন কলেজৰ চৰকাৰী চাকৰিৰপৰা ইস্তফা দি নিজ হাতে গঢ়া আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে শর্মাই যোগাদান কৰি মহাবিদ্যালয়খনক এক অনন্য মাত্ৰা প্ৰদান কৰে। সুদীৰ্ঘ শিক্ষকতা জীৱনৰ অভিজ্ঞতাৰে সমান্তৰালকৈ তেওঁ ৰচনা কৰি যায় বিভিন্ন পাঠ্যপুথি, অভিধান আৰু ব্যাকৰণ। অনুবাদ সাহিত্যতো বিশেষ অৱদানৰ চানেকি ৰাখি যোৱা শর্মাই গল্প সংকলন সম্পাদনাতো প্ৰদৰ্শন কৰে অধ্যয়নপিপাসু মনৰ। অসমৰ শিক্ষাজগতলৈ অভূতপূৰ্ব ৰৰঙণি হিচাপে আগবঢ়োৱা তেওঁৰ স্বৰচিত গ্ৰন্থসম্ভাৰ হ'ল Sanskrit Grammar : Composition Translation (1947), প্ৰৱেশিকা ৰচনা শিক্ষা (১৯৪৮), Sarma's Anglo– Assamese Dictionary (1950), অসমীয়া অভিধান (১৯৫২), আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ (১৯৫৩, প্ৰকাশক অসম বুক ডিপো), শুৱলা পাঠ ১ম ভাগ (১৯৫৯), শুৱলা পাঠ ২য় ভাগ (১৯৫৯), শুৱলা পাঠ ৩য় ভাগ (১৯৫৯), সংস্কৃত ব্যাকৰণ চন্দ্ৰিকা (১৯৬৮, প্ৰকাশক নিউ বুক ষ্টল), প্ৰৱন্ধ বিচিত্ৰা (বিভিন্ন প্ৰৱন্ধ আৰু ভাষণমালাৰ সংকলন)। শর্মাৰ অনুদিত গ্ৰন্থদ্বয় হ'ল— দেৱী চৌধুৰাণী আৰু গল্প গুচ্ছ। ১৯৫৯ চনত তেওঁ সম্পাদনা কৰি উলিয়ায় 'অসমীয়া চুটি গল্প সংকলন' আৰু ড° হেমন্ত কুমাৰ শর্মাৰ সৈতে 'চুটিগল্প সংকলন' নামে এখন গ্ৰন্থত শর্মাই সম্পাদনা কৰি উলিয়ায়। ১৯৭৩-৭৪ চনত তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰে। অসম সাহিত্য সভাৰ সভাপতিত্বৰ কালছোৱাত শর্মাই সভাক প্ৰদান কৰিছিল এক অনন্য গতি। সভাৰ বাবে কৰি থৈ যোৱা শর্মাৰ বিশেষভাৱে উল্লেখযোগ্য কাম তিনিটা হ'ল—

১। পত্ৰিকা মাহেকীয়াকৰণ (ড° হেমন্ত কুমাৰ শর্মাৰ সম্পাদনাত পত্ৰিকাৰ নটা সংখ্যা এবছৰত প্ৰকাশ হয়।)

২। দাতাৰ ধনেৰে গ্ৰন্থ প্ৰকাশ (ৰাভা, জনজাতি, নাটক, স্বপ্নবাসৱদত্তা, প্লেটো, ছেমুৱেল জনছনৰ জীৱনী, অসমীয়া জাতিৰ ইতিবৃত্তি, জীৱনী, একাদশী আৰু চক্ৰেটিছ।)

৩। সংগঠন আৰু ব্যাপক পৰিভ্ৰমণ।


সভাপতিৰ ভাষণত শর্মাই তেওঁৰ এক বাৰদফীয়া আঁচনি দাঙি ধৰিছিল আৰু সেই আঁচনিখন ৰূপায়িত কৰিবলৈ তেওঁৰ কাৰ্যকালত নখন উপসমিতি গঠন কৰিছিল। আঁচনিখনত বিষয়সমূহ আছিল ঃ ১। অসমীয়া জাতিৰ ইতিবৃত্ত, ২। মৌলিক সাহিত্য ৰচনা আৰু প্ৰকাশ, ৩। অনুবাদ সাহিত্য ৰচনা আৰু প্ৰকাশ, ৪। প্ৰাচীন পুথিৰ বিৱৰণমূলক তালিকা আৰু জাতীয় গ্ৰন্থাগাৰ, ৫। অসম সাহিত্য সভা পত্ৰিকা, ৬। ব্যাকৰণ আৰু অভিধান প্ৰণয়ন, ৭। ভাষাজ্ঞান পৰীক্ষা সংস্কাৰ, ৮। অর্থ-সংগ্ৰহ, প্ৰচাৰ তথা সংগঠন আৰু সমন্বয় কেন্দ্ৰ স্থাপন।

১৯৭২ চনত কামৰূপ সাহিত্য পৰিষদৰ সভাপতি হৈ থাকোঁতে শর্মাৰ উপদেশ মর্মে এখন প্ৰকাশন আঁচনি পৰিষদে গ্ৰহণ কৰে। এই আঁচনিখনৰ অধীনতে শর্মাৰ বিশেষ তৎপৰতাত কামৰূপ ৰত্নমালাৰ প্ৰথম খণ্ড আৰু পৰিষদৰ মুখপত্ৰ 'কামৰূপাই' প্ৰকাশৰ মুখ দেখে।

ৰিহাবাৰীৰ উন্নয়ন সমিতিৰ অন্যতম প্ৰতিষ্ঠাপক, উত্তৰ পূব ভাৰত হৰিদেৱ সংঘৰ সদস্য, অসম চৰকাৰী সাহায্য প্ৰাপ্ত কলেজ শিক্ষক সস্থাৰ অন্যতম সংগঠক, সদৌ অসম অধ্যক্ষ পৰিষদৰ একেধাৰে পাঁচ বছৰ সম্পাদক, বৃহত্তৰ গুৱাহাটীৰ অসমীয়া অধ্যাপক চৰাৰ সভাপতি, সদৌ অসম পুথিভৰাল সংঘৰ সম্পাদক, ৰাষ্ট্ৰীয় স্বয়ং সেৱা সংঘৰ প্ৰান্তিয় সংঘচালক হিচাপেও শর্মাৰ অসমীয়া সমাজখনলৈ অৱদান অপৰিসীম। ১৯৭৫ চনত আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ অধ্যক্ষ পদৰপৰা অৱসৰ গ্ৰহণ কৰা শর্মাই অৱসৰৰ পিচতে ৰিহাবাৰীৰ নিজা বাসভৱনত পূৰ্বদেশ মুদ্ৰণ নামেৰে প্ৰেছ প্ৰতিষ্ঠা কৰি পুথি প্ৰকাশত আত্মনিয়োগ কৰে। ১৯৭৫ চনৰ ১০ মে' তাৰিখে গুৱাহাটীৰ ৰিহাবাৰীৰ নিজা বাসভৱনত বাধা কুটীৰত এই গৰাকী মহান শিক্ষাবিদ সাহিত্যানুৰাগী তথা সমাজ কৰ্মীৰ পৰলোক প্ৰাপ্তি ঘটে।

অসমৰ প্ৰথিতযশা সাহিত্যিক অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাই শর্মাৰ পৰিকল্পিত কামৰ আঁচনি আৰু কর্মোদ্যমৰ ধৰণ কৰণলৈ লক্ষ্য কৰি অসম সাহিত্য সভাৰ শর্মা সভাপতি হৈ থকা সময়ছোৱাৰ কামক ধুমুহাৰ প্ৰচণ্ড ৰাতিৰ লগত তুলনা কৰিছিল আৰু শর্মাৰ আকস্মিক বিয়োগত অভিভূত হৈ 'ভীমকর্মা' আখ্যাৰে বিভূষিত কৰিছিল। ◆

ড° মহেশ্বৰ নেওগ



অসমীয়া ভাষাৰ ওজা হিচাপে প্ৰসিদ্ধি লাভ কৰাসকলৰ ভিতৰত ড° মহেশ্বৰ নেওগ অন্যতম। মাণিক চন্দ্ৰ নেওগৰ ঔৰসত আৰু চন্দ্ৰপ্ৰভা দেবীৰ গৰ্ভত, ১৯১৫ চনৰ সাত ছেপ্টেম্বৰত, শিবসাগৰৰ কমাৰফদীয়া গাঁৱত অসমীয়া সাহিত্যৰ মুকুতা ড° মহেশ্বৰ নেওগৰ জন্ম হয়। ড° নেওগ আছিল নিজৰ কৰ্মৰে মহীয়ান হৈ জাতিটোক তথা ভাষা সাহিত্যক স্বপ্ৰতিভাৱে জিলিকাই ৰাখি থৈ যোৱা এজন প্ৰবাদপুৰুষ।

ড° নেওগৰ স্কুলীয়া জীৱনৰ আৰম্ভণি হয় কমাৰফদীয়া নিম্ন প্ৰাথমিক পাঠশালিত। ১৯২৬ চনত নিম্ন প্ৰাথমিক বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হৈ মহেশ্বৰ নেওগে শিবসাগৰ চৰকাৰী হাইস্কুলৰ ক্লাছ ছাত্ৰত নাম লগায়। ককায়েক ডিম্বেশ্বৰ নেওগে শিক্ষকতা কৰা বাবে ড° নেওগৰ নিজৰ লগত ৰাখি পঢ়োৱাইছিল। সেয়ে হাইস্কুলীয়া জীৱনতে উত্তৰ লক্ষীমপুৰত এবছৰ পঢ়ি দশম শ্ৰেণীত যোৱহাটৰ চৰকাৰী হাইস্কুললৈ বদলি হৈ ১৯৩৪ চনত এই স্কুলৰপৰাই ইয়াৰ পাছি অসমীয়া আৰু ইংৰাজীত বিদ্যালয়ৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ সহকাৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩৬ চনত আই এছ চি পৰীক্ষাত কটন কলেজৰ পৰা বিজ্ঞান শাখাৰ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯৩৯ চনত কলা শাখাৰ পৰা ইংৰাজী সাহিত্যত অনাৰ্চ লৈ বি. এ. পাছ কৰে। ১৯৪৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ড° নেওগে প্ৰাইভেটকৈ অসমীয়াৰ প্ৰথম শ্ৰেণীত এম. এ. পাছ কৰে।

শিবসাগৰ চৰকাৰী হাইস্কুলত পঢ়ি থকা সময়তে ড° নেওগৰ ককায়েক ডিম্বেশ্বৰ নেওগৰ উদ্যোগত প্ৰতিষ্ঠা হোৱা বংপুৰ ছাত্ৰ সভাৰ পৰা ওলোৱা হাতে লিখা আলোচনী 'বাংপুৰ' প্ৰকাশ হয়। আৰু এই 'বাংপুৰ'ৰ বিভিন্ন অনুষ্ঠানত ককায়েকৰ সঁতে অংশ গ্ৰহণ কৰিবলৈ লোৱাৰ ফলতে ড° মহেশ্বৰ নেওগে তৃতীয় শ্ৰেণীৰ পৰাই কবিতা লিখিবলৈ আৰম্ভ কৰে। পঞ্চম

শ্রেণীৰপৰ তেওঁৰ কবিতা লেখাটো ঘন হয়, আনকি দুই এঠাইত তেওঁৰ কবিতা প্রকাশ পাবলৈ ধৰে। ত্রিছৰ দশকত লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত 'বাঁহী' কাকতত নেওগৰ গল্প আৰু কবিতা প্রকাশ পায়। স্কুলীয়া অৱস্থাতে 'বীণাপাণি' আৰু 'নিজৰা' নামৰ দুখন হাতে লিখা আলোচনীও তেওঁ উলিয়াইছিল। ১৯৩৯ চনত ড° মহেশ্বৰ নেওগৰ প্রথম গ্রন্থ 'নিজৰা লগৰী' প্রকাশ পায়। ১৯৪৫ চনত শংকৰদেৱৰ ভক্তি তত্ত্বমূলক গ্রন্থ 'ভক্তি প্রদীপ' বিস্তৃত বিশ্লেষণ টীকা টিপ্পনীৰে প্রকাশ কৰি উলিয়ায়। শংকৰদেৱৰ ওপৰত ড° নেওগৰ অধ্যয়ন আৰুগৱেষণাৰ ফলস্বৰূপে বহুতো নিবন্ধ লিখাৰ লগতে ১৯৪৮ চনত 'শ্রীশ্রী শংকৰদেৱ' আৰু ১৯৫৩ চনত Sankardeva and his predecessor's নামৰ গ্রন্থ দুখন প্রণয়ন কৰে। ড° মহেশ্বৰ নেওগৰ চেষ্টাতেই শংকৰদেৱৰ কর্ম জীৱনত আৰু সাহিত্য চর্চাৰে মহাপুৰুষজনক সর্বশ্রেষ্ঠ অসমীয়াৰ স্থানলৈ উত্তৰণ ঘটাই অসমৰ সীমা অতিক্রম কৰাই নি সর্বভাৰতীয় ক্ষেত্রত বৈষ্ণৱ পণ্ডিত তথা সাহিত্যিক হিচাপে প্রতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। এই সফল প্রচেষ্টাৰ অন্যতম চানেকি হ'ল — ১৯৬৫ চনত উলিওৱা Sankardeva and his times : History of the Vaishava Faith and Movement in Assam ; ১৯৬২ চনত যুটিয়াভাৰে প্রকাশ কৰা Rhythm in the Vaishnava Music of Assam ; ১৯৬৭ চনত Sankardeva আদি উল্লেখযোগ্য। মাথোঁ শংকৰদেৱৰেই নহয়, অসমৰ নৱজাগৰণৰ সময় 'বৈষ্ণৱ যুগ'ৰো বহু কথা ড° নেওগে পোহৰলৈ আনিলে আৰু অসমীয়া ভাষাক ভাৰতৰ অন্যতম আধুনিক ভাষা হিচাপে প্রতিষ্ঠিত কৰিলে। 'স্বৰৰেখাত ৰৰগীত', 'সত্রীয়া নৃত্য', ৰমানন্দ দ্বিজৰ শ্রীশ্রী বংশী গোপালদেৱৰ চৰিত্র, 'ৰমানন্দ দ্বিজৰ গুৰু চৰিত', ভট্টদেৱৰ ভাগৱত কথা (প্রথম, দ্বিতীয় আৰু তৃতীয় স্কন্ধ), শংকৰদেৱৰ কীর্ত্তন ঘোষা আৰু মাধৱদেৱৰ নামঘোষা আদি বৈষ্ণৱ ধর্মীয় গ্রন্থৰ লেখক আৰু সংকলক সম্পাদক হ'ল ড° মহেশ্বৰ নেওগ। সত্তৰ দশকৰ আৰম্ভণিতে প্রকাশ পোৱা ড° নেওগৰ দুখন লেখত ল'ৰলগীয়া গ্রন্থ হ'ল— 'প্রাচ্য শাসনাৱলী আৰু 'সত্রীয়া নৃত্য আৰু সত্রীয়া নৃত্যৰ তাল'। তেওঁ ১৯৬৯ চনত সম্পাদনা কৰা আন এখন গ্রন্থ হ'ল Assam's Language Question।

ওপৰত উল্লিখিত গ্রন্থসমূহৰ উপৰি 'সঞ্চাৰণী দীপশিখা', 'মুচাফিৰ খানা', 'ৰক্তকমল', 'Under the sky ; আদি কবিতা গ্রন্থ, তিনিটামান গল্প, 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি' 'অসমীয়া গীতি সাহিত্য', 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' 'সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি', In memorian 'আধুনিক অসমীয়া সাহিত্য', 'চিত্রলেখা', বিশ্ববিদ্যালয়, ভাষা, ভাষণ আৰু ভ্রমণ', 'পবিত্র অসম', 'সঞ্চয়ন', 'সাহিত্য সমীক্ষা' আদি বহুকেইখন গ্রন্থ প্রণয়ন আৰু সম্পাদনা কৰি ড° মহেশ্বৰ নেওগে অসমীয়া ভাষা সাহিত্যলৈ অনন্য মাত্রা প্রদান কৰি থৈ গৈছে। শেষ বয়সত তেওঁ অন্যান্য কর্মৰ বাহিৰেও চলন্ত অসমীয়া অভিধানখনৰ কাম কৰিছিল। তেওঁৰ আত্মজীৱনী 'দীঘ আৰু বাণী' মাথোঁ আত্মকথাই নহয়, সেয়া অসম তথা ভাৰতীয় সভ্যতা সংস্কৃতিৰ দলিলো।

'কর্মই সকলিৰ ৰৰ এই সংসাৰে'— বাউল গানত কোৱাৰ দৰে ড° মহেশ্বৰ নেওগৰ জীৱনৰ মূল মন্ত্র আছিল কর্ম। ড° নেওগৰ চাকৰি জীৱন ৰৰ ৰঙীণ আৰু ৰ্ণময় ৰ্ণালীৰ বিচ্ছুৰিত আভা স্বৰূপ। ১৯৪৮ চনৰ এক ডিচেম্বৰৰ দিনাখন ড° মহেশ্বৰ নেওগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্রথম প্রবক্তা ৰূপে যোগ দিয়ে। তাৰ আগতে অস্থায়ী শিক্ষক হিচাপে যোৰহাট চৰকাৰী হাইস্কুলত কিছুদিন, তাৰ পৰাই লক্ষীমপুৰ চৰকাৰী হাইস্কুল, যোৰহাট খ্রীষ্টান হাইস্কুল, ১৯৪১ চনত ঘৰৰ ওচৰৰে ফুলেশ্বৰী স্কুলত শিক্ষক ৰূপে কার্যনির্বাহ কৰে। ড° নেওগে ১৯৪৫ চনত বিশ্ববিদ্যালয়ত ট্রাষ্ট ৰ'ৰ্ডৰ কার্যালয় সচিব ৰূপে কাম কৰে। ১৯৫৭ চনৰ ২৭ জুলাইৰপৰা ড° নেওগ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰিডাৰ হয়। আৰু ১৯৬৪ চনত ড° বিৰিঞ্চি কুমাৰৰৰুৱাৰ মৃত্যুৰ পাছত তেওঁ বিভাগীয় প্রধান হয়গৈ।

১৯৫৫ চনত বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° ভি ভেংকট ৰাৱে নিজৰ জীৱনৰ সমস্ত সঞ্চিত ধনেৰে প্রতিষ্ঠা কৰা 'জৱাহৰলাল নেহৰু প্রফেচৰ অব আচামিজ' নামৰ আসনখন গুৱনি কৰে ড° মহেশ্বৰ নেওগে। ইয়াৰ উপৰি গুৱাহাটী বিশ্ববিদ্যালয়ত মাথোঁ কেইবছৰমানৰ ৰাবে প্রতিষ্ঠিত 'কালচাৰ এণ্ড চিভিলাইজেচন অব আসাম' নামেৰে স্নাতকোত্তৰ শ্রেণীৰ এই সুকীয়া বিভাগটো ড° নেওগে অধ্যাপনা কৰিছিল। তদুপৰি বঙলা বিভাগৰো অধ্যাপক হিচাপে কেইবছৰমান কার্যনির্বাহ কৰিছিল তেওঁ।

১৯৭৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ড° অব ফেকাল্টি অব আর্টছ' হিচাপে দায়িত্ব গ্রহণ কৰি ১৯৭৮ চনৰ ফেব্রুৱাৰী

মাহত অৱসৰ লৈছিল। তাৰ পাছতেই পাটিয়ালাৰ পাঞ্জাবী বিশ্ববিদ্যালয়ৰ শংকৰদেৱ আসনৰ অধ্যাপক হিচাপে পাঁচ বছৰকাল তুলনামূলক ভাৰতীয় ধৰ্মৰ বিষয়ে পাঠদান কৰিছিল। তদুপৰি বহুকেইখন বিশ্ববিদ্যালয়ৰ তেওঁ ভিজিটিং প্ৰফেচৰ আছিল। কলিকতা, বেনাৰচ হিন্দু বিশ্ববিদ্যালয় আদিৰ লগতে ভাৰতীয় লোকসেৱাৰ পৰীক্ষক হিচাপেও ড° নেওগে বহু বছৰকাল কাৰ্যনিৰ্বাহ কৰিছিল। তদুপৰি এলাহাবাদ, পাটনা আদি কেবাখনো বিশ্ববিদ্যালয়ৰ পি এইছ ডি থিছিচৰ পৰীক্ষক হিচাপেও তেওঁ দায়িত্ব গ্ৰহণ কৰিছিল।


'শংকৰদেৱ আৰু তেওঁৰ কালত অসমত বৈষ্ণৱ ধৰ্ম আৰু আন্দোলনৰ ইতিহাস বিষয়ত গৱেষণা কৰি ১৯৫৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা পি এইছ ডি ডিগ্ৰী লাভ কৰা ড° মহেশ্বৰ নেওগে বহুতো আলোচনী, স্মৃতিগ্ৰন্থ, গৱেষণ গ্ৰন্থ আদি সম্পাদনা কৰিছিল। বিশ্ববিদ্যালয়ৰ ৰূপালী জয়ন্তী অনুষ্ঠানৰ স্মৃতিগ্ৰন্থ সম্পাদনাৰ লগতে 'Journal of the University of Guwahati' নামৰ ইংৰাজী ভাষাত প্ৰকাশিত গৱেষণামূলক আলোচনীখন ১৯৫৮ চনৰপৰা প্ৰায় দুটা দশক ধৰি সম্পাদনা কৰিছিল ড° নেওগে। 'অৰুণোদয়' সম্পাদনা কৰাৰ লগতে এই গৰাকী মহান ব্যক্তিয়ে 'শ্ৰী হস্তাৱলী'ৰ দৰে বিখ্যাত গ্ৰন্থৰ অনুবাদ কৰিছিল।

অসমীয়া জাতিৰ প্ৰধান অনুষ্ঠান অসম সাহিত্য সভাক তেওঁ মহিমা মণ্ডিত কৰি থৈ গ'ল। ড° মহেশ্বৰ নেওগে ১৯৬০ চনৰপৰা ৬৫ চনলৈ সাহিত্য সভাৰ প্ৰধান সম্পাদক আছিল। তেওঁ অসম সাহিত্য সভাৰ মঙলদৈ অধিবেশনৰ ১৯৭৪ চনত সাহিত্য সভাক সভাপতি হৈ সভাক এটা আয়তন দিলে। অসম সাহিত্য সভাক গতিশীল নেতৃত্ব দিয়া এই গৰাকী ব্যক্তিক সভাই সদস্য মহীয়ান উপাধিৰে বিভূষিত কৰে।

বিংশ শতিকাৰ অন্যতম শ্ৰেষ্ঠ প্ৰাচ্যতত্ত্ববিদ এইগৰাকী ব্যক্তিয়ে জীৱনত বহু পুৰস্কাৰ আৰু সম্মান লাভ কৰিছিল। তাৰ ভিতৰত পদ্মশ্ৰী, শংকৰদেৱ বঁটা, প্ৰফেচৰ এমেৰিটাছ আদি উল্লেখযোগ্য।

প্ৰাচ্যতত্ত্ববিদ হিচাপে স্বীকৃত ড° নেওগৰ কলা-সংস্কৃতিৰ প্ৰতি বাপ থকা বাবে তেওঁ সত্ৰীয়া নৃত্যক সমগ্ৰ ভাৰতবাসীৰ ওচৰত পৰিচয় কৰাই দিয়াৰ অমূল্য অৱদানেই সত্ৰীয়া নৃত্যক 'ধ্ৰুপদী' সম্মান দিয়ে সংগীত নাটক অকাডেমীয়ে। অসম প্ৰকাশন পৰিষদ, সাহিত্য অকাডেমী, নেছনেলল স্কুল অৱ ড্ৰামা, ৰাষ্ট্ৰীয় সংগীত নাটক অকাডেমী আদিৰ স'তে গভীৰভাৱে যুক্ত এইজনা মহান ব্যক্তিয়ে অসমীয়া ভাষা সাহিত্যক দি গ'ল বহুমূলীয়া সম্পদ। ১৯৯৫ চনৰ ছেপ্টেম্বৰত ড° মহেশ্বৰ নেওগৰ মৃত্যু হয় যদিও অসমীয়া জাতি আৰু ভাষা থকালৈকে ড° নেওগক অসমীয়া সমাজে চিৰদিন শ্ৰদ্ধাৰে স্মৰণ কৰিব।

ড° সত্যেন্দ্র নাথ শর্মা



অসমীয়া সাহিত্য, সমাজ আৰু শিক্ষা জগতলৈ বিশিষ্ট বৰঙণি আগবঢ়োৱা ব্যক্তিসকলৰ ভিতৰত এজন অন্যতম শ্রেষ্ঠ ব্যক্তি হ'ল— ড° সত্যেন্দ্র নাথ শর্মা। তেওঁৰ জন্ম হয়, শিৱসাগৰ জিলাৰ জাঁজী জৰাবাৰীত ১৯১৬ চনৰ ১০ ছেপ্টেম্বৰত। তেওঁৰ ডেৰ বছৰ বয়সতে মাক ঢুকায়। মাকৰ অবিহনে বুঢ়ীমাক নুমলী দেৱী আৰু ককাদেউতাক সোমেশ্বৰ দেৱ শর্মাই তুলি-তালি ডাঙৰ-দীঘল কৰে। তেওঁৰ উপৰিপুৰুষ ৰাম দেৱ শর্মা আউনি সত্ৰ, তাৰ পিছত শিৱসাগৰ নামতি দ'ল, তাৰ পিছত জাঁজী জৰাবাৰী, তাৰ পিছত জাঁজী গড়মূৰ আৰু শেষত পৰিয়ালটো যোৰহাটৰ বাসিন্দা হয়।

সত্যেন্দ্র নাথ শর্মাৰ শিক্ষা জীৱন আৰম্ভ হয় যোৰহাটৰ প্রেক্‌টিচিং স্কুলত। প্রখৰ মেধাসম্পন্ন এই গৰাকী ছাত্রই ১৯৩৪ চনত জাঁজী হাইস্কুলৰপৰা সংস্কৃততে লেটাৰসহ প্রথম বিভাগত প্রৱেশিকা পাছ কৰে। ১৯৩৬ চনত কটন মহাবিদ্যালয়ৰপৰা আই. এ. পাছ কৰে। ১৯৩৯ চনত কটন কলেজৰপৰা ডিষ্টিংচনসহ অসম উপত্যকাৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰি বি. এ. পৰীক্ষাত উত্তীর্ণ হয়। ১৯৪১ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰপৰা আধুনিক ভাষা সাহিত্য বিভাগত অসমীয়া বিষয়ত প্রথম শ্রেণীৰ প্রথম হৈ স্নাতকোত্তৰ উপাধি লাভ কৰে। স্নাতকোত্তৰ পৰীক্ষাত দেখুৱা কৃতিত্বৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰপৰা আশুতোষ স্বর্ণপদক আৰু দুশ টকা মূল্যৰ কিতাপৰ টোপোলা উপহাৰ হিচাপে লাভ কৰে। ১৯৫৫ চনত তেওঁ 'নৱ বৈষ্ণৱ আন্দোলন আৰু অসমৰ সত্ৰ অনুষ্ঠান' শীর্ষক গৱেষণা গ্রন্থৰ বাবে ডক্টৰেট উপাধি লাভ কৰে।

ড° সত্যেন্দ্র নাথ শর্মাই ছাত্রা অৱস্থাৰপৰাই সাহিত্য-চর্চা কৰে। স্কুলৰ হাতে লিখা আলোচনী 'ফুলনি' তেওঁৰ কবিতা-প্রবন্ধ প্রকাশৰ উৎস আছিল। তদুপৰি ৰঘুনাথ চৌধাৰীৰ সম্পাদিত 'সুৰভি' আৰু কমল নাৰায়ণ দেৱ সম্পাদিত 'জয়ন্তী'তো তেওঁৰ

লিখনি প্ৰকাশ পাইছিল। তেওঁৰ সাহিত্য জগতলৈ আগবঢ়োৱা অৱিহনাসমূহৰ ভিতৰত আলোচনামূলক গ্ৰন্থ-১৯৫৯ চনত প্ৰকাশিত অসমীয়া সাহিত্যৰ ইতিবৃত্ত (পিছত এই কিতাপখন অসমীয়া সমীক্ষাত্মক ইতিবৃত্ত নামে প্ৰকাশিত হয়), ১৯৬২ চনত প্ৰকাশিত অসমীয়া নাট্য সাহিত্য, ১৯৬২ চনত প্ৰকাশিত আন এখন কিতাপ হ'ল বাণী দীপ, ১৯৬৩ চনত প্ৰকাশিত সাহিত্যৰ আভাস, ১৯৭৭ চনত প্ৰকাশিত অসমীয়া উপন্যাসৰ গতিধাৰা, ১৯৭৯ চনত প্ৰকাশিত সাহিত্য চয়ন, ১৯৬৫ চনত প্ৰকাশিত অসমীয়া উপন্যাসৰ ভূমিকা, ১৯৭০ চনত প্ৰকাশিত অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ, ১৯৮৪ চনত প্ৰকাশিত ৰামায়ণৰ ইতিবৃত্ত আদি।

ড° শৰ্মাই সম্পাদনা কৰা গ্ৰন্থৰ ভিতৰত উষা পৰিণয় (১৯৫১), কথা ৰামায়ণ (১৯৫৪), গীত গোবিন্দ (১৯৫৬), ৰূপকত্ৰয়ম (১৯৬৩), কথা গীতা, পাৰিজাত হৰণ (১৯৬২), ৰুক্মিণী হৰণ (১৯৬২), বেজবৰুৱাৰ ভাৱৰ বুৰবুৰণি, মনসা কাব্য (১৯৫৪), অংকমালা আদি। অনুবাদমূলক গ্ৰন্থৰ ভিতৰত —১৯৬৫ চনত প্ৰকাশিত মাটিৰ মানুহ, আৰু ১৯৬৭ চনত প্ৰকাশিত আকৰৰ। সংকলন আৰু সম্পাদনামূলক সাহিত্যৰ ভিতৰত শিশু জ্ঞানকোষ, বৈদিক যুগ, দাৰ্শনিক পৰিচয়, মৌ আদি।

তেওঁ ইংৰাজী ভাষাতো কেইখাকনো মূল্যবান গ্ৰন্থ ৰচনা কৰিছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— The Neo Vaisnavita Movement and the Satra Institution of Assam (1960), Assamese Literature (1977), Madhavadeva (1984), Epics and Puranas in Early Assamese Literature (1972), A Socio-Economic and Cultural History of Medieval Assam (1984), Education and Learning in Early Assam (1990) আদি।

ড' সত্যেন্দ্ৰ নাথ শৰ্মাৰ চাকৰি জীৱনত ১৯৪২ চনৰপৰা ১৯৪৯ চনলৈ কটন মহাবিদ্যালয়ত সহকাৰী প্ৰবক্তাৰূপে চাকৰি কৰে। ১৯৪৯ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত প্ৰবক্তা ৰূপে যোগদান কৰে। ১৯৫৭ চনৰপৰা ১৯৬৫ চনলৈ তেওঁ 'ৰীডাৰ' হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৬৪ চনত তেওঁ বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ অংশকালীন সচিব নিযুক্ত হয়। ১৯৬৭ চনৰপৰা ১৯৮০ চনলৈ তেওঁ 'আধুনিক ভাৰতীয় ভাষা বিভাগৰ' ৰবীন্দ্ৰ নাথ ঠাকুৰ আসনৰ অধ্যাপক নিযুক্ত হয়। ১৯৮০ চনৰ ফেব্ৰুৱাৰী মাহত তেওঁ চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। ১৯৮১ চনৰপৰা ১৯৮২ চনলৈ তেওঁ ভিজিটিং অধ্যাপক হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ আঁচনি অনুসৰি অসমীয়া বিভাগত নিযুক্ত হয়। ১৯৮৭ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ 'জাতীয় প্ৰবক্তা' আৰু ১৯৮৭ চনৰপৰা ১৯৯১ চনলৈ অসম গৱেষণা পৰিষদৰ সভাপতি নিযুক্ত হয়।


তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। সেই অনুষ্ঠানসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— ১৯৫৫ চনৰপৰা ১৯৫৭ চনলৈ অসম সাহিত্য সভাৰ কোষাধ্যক্ষ, ১৯৫৭ চনৰপৰা ১৯৬১ চনলৈ অসম সাহিত্য সভাৰ মুখপত্ৰ পত্ৰিকাৰ সম্পাদক, ১৯৫৯ চনৰপৰা ১৯৮৭ চনলৈ দিল্লী কেন্দ্ৰীয় সাহিত্য অকাডেমীৰ সাধাৰণ পৰিষদৰ সদস্য, ১৯৬৪ চনৰপৰা ১৯৬৭ চনলৈ সাহিত্য অকাডেমীৰ কাৰ্যনিৰ্বাহকৰ সদস্য, গুৱাহাটী অসম অকাডেমীৰ প্ৰতিষ্ঠাপক সম্পাদক, ১৯৫৭ চনৰপৰা ১৯৬৭ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ খেল-ধেমালি বিভাগৰ উপ-সভাপতি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ Cultural Standing committee ৰ সভাপতি, ১৯৭৫ চনৰপৰা ১৯৮৬ চনলৈ ভাৰতীয় জ্ঞানপীঠ পুৰস্কাৰ অসমীয়া ভাষা উপ-সমিতিৰ আহবায়ক, কামৰূপ অনুসন্ধান সমিতিৰ আজীৱন সভ্য, পিছত সভাপতি, অসম সাহিত্য সভাৰ আজীৱন সভ্য আদি।

১৯৭৫ চনত তিতাবৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বিচত্বাৰিংশ অধিৱেশনৰ বাবে ড° সত্যেন্দ্ৰ নাথ শৰ্মা সভাপতি নিৰ্বাচিত হয়।

ড° সত্যেন্দ্ৰ নাথ শৰ্মাই লাভ কৰা পুৰস্কাৰ আৰু সম্মানসমূহৰ ভিতৰত হ'ল— ১৯৭৫ চনত অসম সাহিত্য সভাৰ মোহন শৰ্মা বঁটা, ১৯৭৬ চনত অসম সাহিত্য সভাৰ দুৰ্গাধৰ বৰকটকী বঁটা, ১৯৮০ চনত অসম চৰকাৰৰ সাহিত্যিক পেন্সন, ১৯৮৩-৮৬ চনত নতুন দিল্লী, ভাৰতীয় বুৰঞ্জী গৱেষণা পৰিষদৰ জ্যেষ্ঠ গৱেষণা বৃত্তি, ১৯৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ শতবাৰ্ষিকীত 'লেখক নিকায়' প্ৰশস্তি পত্ৰ প্ৰদান, ১৯৮৭ চনত অসম সাহিত্য সভাই তেওঁক 'সাহিত্যাচাৰ্য' উপাধিৰে বিভূষিত কৰে। ১৯৯৫ চনত তেওঁ অসম সাহিত্য সভাৰ দ্বাৰা সদস্য মহীয়ান উপাধিৰে সম্মানিত হয়। ১৯৯৮ চনত তেওঁ আনন্দৰাম বৰুৱা বঁটা লাভ কৰে আৰু ১৯৯১ চনত তেওঁক অসম চৰকাৰে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰে।

অসমীয়া সাহিত্যলৈ আগবঢ়োৱা এই বিৰল কৃতিত্বৰ অধিকাৰী ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ মৃত্যু হয় ১৯৯৯ চনৰ ১১ আগষ্টত। ◆

যজ্ঞেশ্বৰ শর্মা



সাহিত্যৰ নীৰৱ সাধক যজ্ঞেশ্বৰ শর্মাৰ জন্ম হয় ১৯০৬ চনৰ ৭ ডিচেম্বৰ তাৰিখে যোৰাট জিলাৰ তিতাবৰৰ ওচৰৰ হামদৈ বগাৰ গাঁৱত।

যজ্ঞেশ্বৰ শর্মাৰ শিক্ষা জীৱন বৰ বিচিত্ৰ। সেই সময়ত তেওঁৰ জন্ম অঞ্চলত কোনো প্ৰাথমিক বিদ্যালয় নথকাত সৰুতে তেওঁলোকে নামঘৰ বা বৰ আঁহতৰ তলতে বিদ্যা শিক্ষা আৰম্ভ কৰে। পিছত তেওঁৰ পিতৃৰ উদ্যোগত গঢ়ি উঠা ১১৫ নং বগাৰ গাঁও প্ৰাথমিক বিদ্যালয়ত ভর্তি হয়। প্ৰাথমিক বিদ্যালয়ৰ বৃত্তি পৰীক্ষাত বৃত্তি লাভ কৰা বাবে সেই বছৰতে তেওঁ পঢ়া বিদ্যালয়খনে চৰকাৰী স্বীকৃতি লাভ কৰাৰ উপৰি বিদ্যালয়ৰ ফালৰপৰা তেওঁ 'ডাবল প্ৰমোচন' লাভ কৰে। ১৯২৩ চনত তেওঁ যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰপৰা মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ আউনীআটী স্বৰ্ণপদক লাভ কৰে। ১৯২৫ চনত তেওঁ কটন মহাবিদ্যালয়ৰপৰা আই. এ, ১৯২৭ চনত ইংৰাজীত সম্মান সহ বি. এ. আৰু ১৯২৯ চনত কলিকতাৰ প্ৰেছিডেন্সি কলেজৰপৰা এম. এ. পাছ কৰে।

যজ্ঞেশ্বৰ শর্মা এগৰাকী বিশিষ্ট কবি। তেওঁ সপ্তমমান শ্ৰেণীত পঢ়ি থাকোঁতে লক্ষ্মীনাথ বেজবৰুৱাৰ বাঁহীত 'দিন সপোন' নামৰ কবিতা এটা প্ৰকাশ কৰি কবি জীৱনৰ পাতনি মেলে। কবি হিচাপে যিকোনো বিষয়ৰ ওপৰত সূক্ষ্মভাৱে নিৰীক্ষণ কৰি ভাব প্ৰকাশ কৰিব পৰা দক্ষতা থকা এই কবিৰ কবিতা তথা অন্যান্য লিখনি ন-জোন, বাতৰি, মিলন, চেতনা, ৰামধেনু, প্ৰকাশ, প্ৰান্তিক, দৈনিক অসম, অসমবাণী, আজিৰ বাতৰি, পূৰ্বাঞ্চল, জাগৰণ, আদিত প্ৰকাশ পায়। শর্মাৰ বাক্যত জটিলতা নাই, সহজ-সৰলভাৱে যিকোনো বিষয় বস্তুকে তেওঁ উপস্থাপন কৰিব পাৰে। তেওঁ ছন্দশৈলী উপমা, চিত্ৰকল্প, শব্দ আদি প্ৰয়োগৰ ক্ষেত্ৰত

বিশেষ সার্থকতা লাভ কৰিছে। শৰ্মাৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— কবিতা সংকলনৰ ভিতৰত ১৯৩৭ চনত প্ৰকাশ কৰা শতপত্ৰ, ১৯৭০ চনত 'লেফাফা', ১৯৮০ চনত 'আজি দুপৰীয়া', ১৯৮২ চনত 'সেই বাহটো ক'ত'? আমলখি কেঁহা আদি উল্লেখযোগ্য। ১৯৮৮ চনত ফুল আৰু জুই নামেৰে প্ৰবন্ধ সংগ্ৰহ প্ৰকাশ পায়। শৰ্মাৰ প্ৰকাশিত সমালোচনামূলক সাহিত্যৰ ভিতৰত প্ৰকাশিত গ্ৰন্থ হ'ল ১৯৭২ চনত প্ৰকাশ কৰা সাহিত্য সংস্কৃতিৰ প্ৰবাহ (প্ৰথম খণ্ড) ১৯৭৬ চনত সাহিত্য সংস্কৃতিৰ দ্বিতীয় খণ্ড আৰু ১৯৮৮ চনত সাহিত্য সংস্কৃতিৰ তৃতীয় খণ্ড প্ৰকাশ পায়। ১৯৭৪ চনত গুলিস্তানৰ সাধু নামেৰে অনুবাদ ৰচনা প্ৰকাশ কৰে। তেওঁৰ অন্যান্য ৰচনাৰ ভিতৰত বেজবৰুৱা আৰু গাঁৱলীয়া জীৱন (১৯৭৮), কণিকা (উপনিষদৰ শ্লোক ভাঙনি ১৯৩২—৩৩), এৰিষ্টটলৰ কাব্য জিজ্ঞাসা (১৯৭৭), যাওঁতে যাওঁতে বাটত, কাব্য দেৱতা আৰু মানুহ (১৯৮৯), মহাত্মা গান্ধী (১৯২১—২২)।

যজ্ঞেশ্বৰ শৰ্মাই চাকৰি জীৱনৰ আৰম্ভণি কৰে ১৯৩০ চনত জগন্নাথ বৰুৱা কলেজত। ১৯৪৪ চনলৈ তেওঁ তাত অধ্যাপনা কৰে আৰু ১৯৪০—১৯৪১ চনত তেওঁ ছিলেটৰ এ. চি. কলেজত অস্থায়ীভাৱে অধ্যাপক নিযুক্ত হয়। ১৯৪৪ চনৰপৰা তেওঁ নগাঁও কলেজত অস্থায়ীভাৱে অধ্যাপক নিযুক্ত হয়। তেওঁ এই কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। ১৯৬৮ চনত তেওঁ নগাঁও কলেজৰপৰা অৱসৰ গ্ৰহণ কৰে।

এই গৰাকী ব্যক্তি এসময়ত স্বাধীনতা সংগ্ৰামীও আছিল। তেওঁ বিভিন্ন শিক্ষা, সাহিত্য, সংস্কৃতিমূলক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁ ১৯৪৯ চনৰপৰা ১৯৬২ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ সদস্য, ফেকাল্টি অৱ আৰ্টছৰ সদস্য, উচ্চ শিক্ষা পৰিষদৰ সদস্য আৰু অকাডেমীক কাউন্সিলৰ সদস্য আছিল। ১৯৪৯ চনত তেওঁ কলেজ শিক্ষক সংস্থাৰ আহবায়ক ৰূপে সেৱা আগবঢ়ায়। ১৯৫০ চনত তেওঁ এই সংস্থাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৭৪ চনত তেওঁ ৰৰদোৱা শংকৰ গৱেষণা কেন্দ্ৰৰ সভাপতি নিৰ্বাচিত হয়।

যজ্ঞেশ্বৰ শৰ্মাই অসমীয়া সাহিত্যলৈ আগবঢ়োৱা বিশিষ্ট ৰৱঙণিৰ বাবে অসম সাহিত্য সভাই তেওঁক সাহিত্যাচাৰ্য সম্মানেৰে সম্মানিত কৰে। ১৯৯৬ চনৰ ৮ জুলাইত তেওঁক আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হয়।

এইজনা মহান সাহিত্যিকে ১৯৭৬ চনত টিহুত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ অধিবেশনৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল— 'ঘৰ এটা থাকিলেই ঘৰ নহয়'। ন গৃহং গৃহমিত্যাহুঃ ঘৰত সুগৃহিণী থাকিলেহে ঘৰ বোলে। এটা ভাষা থাকিলেই নহয়, ভাষাত সাহিত্যও থাকিব লাগে। ভাষা লিখিলে বা ক'লেই তাক সাহিত্য নোবোলে। উচ্চ আদৰ্শ আৰু সৌন্দৰ্যৰ বাহন হোৱাতহে ভাষাৰ গৌৰৱ। শুকশু পক্ষীয়ে জন্ম লৈয়েই বিশ্ব ব্ৰহ্মাণ্ড গ্ৰাস কৰিবলৈ ওলাইছিল; কিন্তু বিষ্ণুৰ বাহন হোৱাত সকলো ৰক্ষা পৰিল। ভাষাকো মানুহে নিন্দাবাদ নৈশূন্য হিংসাৰ কাৰণে বিদ্বেষ আৰু অশান্তি সৃষ্টিৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে। ভাষাৰ সৃষ্টি আৰু প্ৰলয় দুয়োটাৰে বীজ আছে। ভাষাৰ ব্যৱহাৰ পবিত্ৰ আৰু সংযত লোকৰ কাম। সৌন্দৰ্য সৃষ্টিৰ কাৰণে অৰ্দ্ধশিক্ষিতলোকে ভাষাত হাত দিব নালাগে।

'গীতাক উচ্চস্থান দিয়া যজ্ঞেশ্বৰ শৰ্মাৰ পৰলোকপ্ৰাপ্তি হয়১৯৯৮ চনৰ ২৩ নৱেম্বৰত। তেওঁ প্ৰিয় গ্ৰন্থ গীতাৰ বিষয়ে কৈছিল— 'গীতা আৰু ধৰ্মপদৰ দৰে উদাৰ গ্ৰন্থ মই আৰু ক'তো দেখা নাই। সংসাৰত যদি শান্তি প্ৰতিষ্ঠা হ'ব লাগে, গীতাৰ যোগেদিহে হ'ব। গীতাৰ বিনে গতি নাই।' ◆

চৈয়দ আব্দুল মালিক



অসমীয়া সাহিত্যৰ প্ৰায় সকলোবোৰ দিশতে অবিসম্বাদী সম্ৰাট ৰূপে চৈয়দ আব্দুল মালিকক আখ্যা দিব পাৰি। মালিকে অসমীয়া সাহিত্যলৈ বিপুল ৰচনা সম্ভাৰেৰে আমাৰ ভাষা সাহিত্য চহকী কৰি থৈ গৈছে। এগৰাকী সাহিত্যিক জীৱন কালত যিমানখিনি জনপ্ৰিয় হ'ব পাৰে সিমানখিনি জনপ্ৰিয় আছিল আব্দুল মালিক। অসমীয়া সাহিত্যত বিশেষকৈ চুটি গল্পৰ জগতত মালিক আছিল সম্ৰাট।

'জীৱনে মৰণে মই চিৰদিন অসমীয়া। অসমীয়া দেহে প্ৰাণ মই জীয়াই থাকোঁতে মই অসমৰে অসমীয়া, মৰিলেও ধৰি ল'ম অসমৰ অমিয়া মৰণ...।' জীৱনে মৰণে অসমীয়াৰ বাবে নিজৰ সৃষ্টিশীলতাক উৎসৰ্গ কৰা এই জনপ্ৰিয় কথা শিল্পীজনেই হ'ল চৈয়দ আব্দুল মালিক। সঁচা অৰ্থতেই এইজন অসমীয়া সাহিত্যৰ ভোটা তৰা। তথা সাহিত্যপ্ৰেমী হৃদয়ৰ মালিক। অসমৰ সাহিত্য, শিক্ষা, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক, প্ৰায় সকলো ক্ষেত্ৰতে নিজৰ বহুমূলীয়া অৱদানেৰে তুলনাবিহীন ভাৱৰ এই মহান ব্যক্তিগৰাকীয়ে অসম আৰু অসমীয়াক সমৃদ্ধ কৰি থৈ গ'ল।

১৯১৯ চনৰ ১৬ জানুৱাৰীৰ দিনা গোলাঘাট জিলাৰ নাহৰণি গাঁৱৰ এক নিম্ন মধ্যবিত্ত পৰিয়ালত চৈয়দ আব্দুল মালিকৰ জন্ম। মালিকে শিক্ষা জীৱনৰ পাতনি মেলে চাৰি বছৰৰ পাৰ হওঁতেই আৰু ১৯২৮ চনত নাহৰণি নিম্ন বুনিয়াদী বিদ্যালয়ৰপৰা বৃত্তি লাভ কৰি ক্লাছ ষ্ত্রিত ডেৰগাঁও মধ্য ইংৰাজী বিদ্যালয় আৰু যোৰহাট চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত পঢ়া-শুনা কৰি ১৯৩৭ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তাৰ পিচত তেওঁ যোৰহাট কলেজৰপৰা ১৯৩৯ চনৰ সুখ্যাতিৰে আই. এ পাছ কৰে। ৯১৪১ চনত কটন কলেজৰ পৰা ইংৰাজী বিষয়ত অনার্চ লৈ বি. এ. পাছ কৰে আৰু তাৰ পাছত

চাকৰিত সোমায়। ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে অসমীয়া সাহিত্য বিষয়ত দ্বিতীয় শ্ৰেণীৰ প্ৰথম হৈ এম. এ. পৰীক্ষাত উত্তীৰ্ণ হয়।

সৰুৰেপৰা সাহিত্যৰ প্ৰতি বাপ থকা কাৰণে তেওঁ সাহিত্য ৰচনাত হাত দিয়ে। ১৯৩৫ চনত মালিকৰ প্ৰথম ৰচনা প্ৰকাশ পায় যোৰহাট চৰকাৰী হাইস্কুলৰ মুখপত্ৰ জেউতিত। মালিকৰ সাহিত্যৰ বিস্তৃত পথাৰখনত 'ওমলা ফুৱৰ ধূলি' নামৰ উপন্যাসখনেৱে প্ৰথম গ্ৰন্থ প্ৰকাশ কৰাৰ পাছত তেওঁৰ গ্ৰন্থবদ্ধ হোৱা উপন্যাসৰ মুঠ জনসংখ্যা ৬৪ খন। মালিকৰ ভাষা শৈলীৰ বিশেষ আকৰ্ষণ আছে। সংলাপৰ বাহুল্য, মানৱতাবোধ, যৌন জীৱনৰ আতিশয্য, ৰোমাণ্টিক ভাবকল্পনা, দৰিদ্ৰ আৰু নিষ্পেষিতৰ প্ৰতি সহজ সহানুভূতি, কাব্যগন্ধী ভাষা মালিকৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্য। তেওঁৰ উপন্যাসত প্ৰেমৰ প্ৰাধান্য দেখা যায়। ই বিচিত্ৰ ৰূপত বিচিত্ৰ বৰ্ণালীত বিচ্ছুৰিত হৈছে। বিভিন্ন স্তৰৰ নৰ-নাৰীৰ লগত সহজ আত্মীয়তাবোধ, নাৰীৰ প্ৰতি সহানুভূতিশীল মনোভাব আৰু যুগসন্ধি তথা যুগক্ৰান্তিৰ প্ৰভাৱ তেওঁৰ উপন্যাসত লক্ষ্য কৰা যায়। মালিকৰ কেইখনমান উল্লেখযোগ্য উপন্যাসৰ ভিতৰত মাটিৰ চাকি, বনজুই, ৰথৰ চকৰি ঘূৰে, ছবিঘৰ, জীয়া জুৱিৰ ঘাট, ৰূপতীৰ্থৰ যাত্ৰী, প্ৰেম অমৃতৰ নদী (মাধৱদেৱৰ জীৱনৰ আধাৰত উপন্যাস) ৰূপাবাৰীৰ পলশ, ধন্য নৰ তনু ভাল (শংকৰদেৱৰ জীৱনৰ আধাৰত উপন্যাস) এটা সূর্য্য, দুখন নদী আৰু এখন মৰুভূমি, শৰীৰত একুৰা জুই আদি জনপ্ৰিয় উপন্যাসৰ প্ৰণেতা চৈয়দ আব্দুল মালিকে 'অঘৰীৰ আত্মাৰ কাহিনী' নামৰ উপন্যাসখনৰ বাবে ১৯৬৫ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল।

চুটি গল্প ৰচনাত মালিকৰ পাৰদৰ্শিতা আৰু প্ৰতিভাৰ সুন্দৰ ৰূপায়ণ ঘটিছিল। আধুনিক গল্পকাৰসকলৰ ভিতৰত মালিক সৰ্বাগ্ৰণী। বিষয়বস্তুৰ বৈবিধ্য আৰু বৈচিত্ৰ্য, অৱহেলিত, পীড়িত আৰু সমাজ বহিৰ্ভূতসকলৰ প্ৰতি সহানুভূতি, যৌন কামনাৰ বিচিত্ৰ, দুৰ্বাৰ গতি আৰু আকৰ্ষণীয় প্ৰকাশভংগী মালিকৰ গল্প প্ৰধান বিশেষত্ব। বিভিন্ন গল্পত বিভিন্ন আংগীকৰ প্ৰয়োগ তেওঁ গল্পৰ আন এটি বৈশিষ্ট্য। পৰশমণি, ৰঙাগড়া মৰহাপাপৰি, এজনী নতুনন ছোৱালী, মৰম, মৰম লাগে, শিখৰে শিখৰে, শিল আৰু শিখা, অস্থায়ী আৰু অন্তৰা, পোৱা গাঁৱত পহিলা ব'হাগ আদি কৰি ২১ খন চুটি গল্প সংকলনেৱে গল্প সাহিত্যৰ দিশত মালিকৰ ৰৱঙণি লেখত ল'ৰলগীয়া।

উপন্যাসৰ আৰু চুটি গল্পৰ উপৰিও দুখন হাস্যব্যংগ সংকলন, চাৰিখন জীৱনী গ্ৰন্থ, চাৰিখন কাব্য গ্ৰন্থ, পাঁচখন শিশু উপযোগী গ্ৰন্থ, এখন গীতৰ সংকলন, দুখন আত্মজীৱনীমূলক গ্ৰন্থ, ১১ খন নাটক, তিনিখন ভ্ৰমণ কাহিনী, সাতখন গৱেষণা গ্ৰন্থ আৰু ১৫ খন অনুবাদ গ্ৰন্থ প্ৰকাশ পাইছে। অৰ্থাৎ ১৩০ খন গ্ৰন্থৰে অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ যোৱা মালিকৰ এই সৃষ্টিশীল প্ৰতিভা অনুজসকলৰ প্ৰেৰণাৰ উৎস। Ajan Fakir : Poet, Saint of Assam নামৰ গ্ৰন্থখনেই ইংৰাজী ভাষাত প্ৰকাশিত মালিকৰ একমাত্ৰ গ্ৰন্থ।

অসমীয়া সাহিত্যত বুজন পৰিমাণৰ বঁটা লাভ কৰা সাহিত্যিকৰ সংখ্যা বিৰল যদিও চৈয়দ আব্দুল মালিক ইয়াৰ ব্যতিক্ৰম। তেওঁ 'মাজত মাথোঁ হিমালয়' নামৰ ভ্ৰমণ কাহিনীৰ বাবে ১৯৬৫ চনত চোভিয়েট দেশ নেহৰু বঁটা, ১৯৮১ চনত পশ্চিমবংগ চৰকাৰৰ পূৰ্ণভাৱত সংস্কৃতি সংহতি বঁটা, ১৯৮৪ চনত ভাৰত চৰকাৰৰ 'পদ্মশ্ৰী', ১৯৮৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা 'ডক্টৰ অব' লিটাৰেচাৰ', ১৯৯২ চনত ভাৰত চৰকাৰৰ 'পদ্মভূষণ', ১৯৯৪ চনত 'অসম উপত্যকা বঁটা', ১৯৯৫ চনত 'আজান ফকীৰ বঁটা', ১৯৯৭ চনত সাহিত্য সভাৰ 'সাহিত্যাচাৰ্য্যা' সম্মান, ১৯৯৯ চত সাহিত্য অকাডেমী ফেলোশিপ, ১৯৯৯ চনত শ্ৰীমন্ত শংকৰদেৱ বঁটা আদি বিভিন্ন সম্মান তেওঁ লাভ কৰে।

মালিকৰ কৰ্ম জীৱন আছিল বিচিত্ৰ, বৰ্ণময়। ১৯৪২ চনত তেওঁ আবকাৰী বিভাগৰ ছাব-ইন্সপেক্টৰ হিচাপে কৰ্মজীৱনৰ পাতনি মেলে। তাৰ পাছৰ বছৰতে দ্বিতীয় মহাসমৰৰ সময়ত ভাৰত চৰকাৰৰ সৈন্য বিভাগত চিভিলিয়ান পোষ্টেল হেলপৰৰ কামত যোগ দিয়ে। দুবছৰমান শিক্ষকতা কৰি ছিলং গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত প্ৰগ্ৰেম এছিষ্টেণ্টৰ পদত যোগদান কৰে। তাত প্ৰায় ডেৰ বছৰমান চাকৰি কৰি তেওঁ পুনৰ গোলাঘাটলৈ উভতি আহি ঢেকীয়াল হাইস্কুলৰ সহকাৰী শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। সেই বছৰতে তেওঁ কুৱালগুৰি হাইস্কুল (গোলাঘাট)ত শিক্ষকতা কৰিবলৈ লয়। কেইদিনমানৰ পাছতে তেখেতে এইখন হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে জাৱিত্ব গ্ৰহণ কৰে। ১৯৫১ চনৰ শেষ ভাগত তেওঁ যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰি ১৯৭৬ চনলৈ এই মহাবিদ্যালয়ত জীৱনৰ বহুমূলীয়া সময় দান কৰে। শিক্ষক

হিচাপেও মালিক অতি জনপ্রিয় আছিল।

নানা ৰঙী কর্মজীৱনৰগৰাকী এইগৰাকী ব্যক্তি অসম সাহিত্য সভাৰ প্রধান সম্পাদক হিচাপে নির্বাচিত হয় ১৯৬৯ চনৰ ধিং অধিৱেশনত। তাৰ আগতে ১৯৬৩ চনৰপৰা ৬৯ চনলৈ সাহিত্য অকাডেমী কাউন্সিলৰ সদস্য হিচাপে তেওঁ অৰিহণা আগবঢ়ায়। ১৯৭৬ চনত ৰাজ্যসভাৰ সদস্য হিচাপে মালিক নির্বাচিত হয় আৰু ১৯৮২ চন পর্যন্ত সাংসদ হিচাপে নিজৰ দায়িত্ব সুচাৰুৰূপে সম্পাদন কৰে। সাহিত্য সভাৰ আজীৱন সদস্য অসমীয়া সাহিত্যৰ প্রবাদপুৰুষ এইজনা ব্যক্তিয়ে ১৯৭৭ চনৰ অভয়াপুৰী অধিৱেশনত সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰে। ছাত্র জীৱনৰেপৰা লেখক হিচাপে মালিকৰ বিশেষ জনপ্রিয়তা আছিল আৰু মৃত্যু পর্যন্ত এই জনপ্রিয়তা অটুট আছিল। এগৰাকী সু-শিক্ষক আৰু সুবক্তাৰূপে মালিকে জনপ্রিয়তাৰ সীমা চেৰাবলৈ সক্ষম হৈছিল।

অসমীয়া সাহিত্যত চৈয়দ আব্দুল মালিকে এটা যুগৰ সৃষ্টি কৰি গ'ল। জীৱনৰ প্রথম আৰু মধ্যছোৱাত এগৰাকী সাম্যবাদী বিদ্রোহী মানসিকতাৰ লেখক হ'লেও আব্দুল মালিকে জীৱনৰ শেষ কালছোৱাত আপোচকামিতা আৰু আত্মসমর্পণৰ মানসিকতা দেখুৱাইছিল। হয়তো তেওঁৰ দৰিদ্রতাও ইয়াৰ অন্যতম কাৰণ। শেষ সময়ছোৱাত তেওঁ কর্কট ৰোগৰ দ্বাৰা আক্রান্ত হৈও হাঁহি তামাচাৰ মাজেৰে পাৰ কৰিছিল। তেওঁৰ অমল প্রতিভাৰ স্বাক্ষৰতাসমূহে সমগ্র অসমকে পোহৰাই ৰাখিব যুগ যুগ ধৰি। ২০০০ চনৰ ১৯ ডিচেম্বৰত এই গৰাকী সাধকৰ জীৱনবর্ত্তি নুমাই যায়। ◆

প্রসন্নলাল চৌধুৰী



"চহা তুমি মহাকবি
ফালৰ মুখেদি সৃষ্টি কৰিছো
ধৰাত স্বৰ্গ ছবি।"

মানৱতাবাদৰ প্ৰকৃত মূল্যবোধত সদায় গুৰুত্ব আৰোপ কৰা সমাজ সচেতন যিজনে নাঙলৰো জয়গান গাব পাৰে সেই কবিজনে হ'ল প্ৰসন্নলাল চৌধুৰী। বহুমুখী প্ৰতিভাৰ আকৰ স্বৰূপ এই গৰাকী ব্যক্তিৰ জন্ম হয় ১৮৯৮ চনৰ ৩ জানুৱাৰীত কামৰূপ জিলাৰ পলাশবাৰীত।

প্ৰসন্নলাল চৌধুৰীয়ে শিক্ষা জীৱনৰ পাতনি মেলে পলাশবাৰী ছাত্ৰ বৃত্তি স্কুলত। তাৰ পিছত যোৰহাট বেজৰবৰুৱা হাইস্কুলৰপৰা ১৯১৯ চনত প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। কটন মহাবিদ্যালয়ৰপৰা ১৯২৪ চনত ডিষ্টিংচনসহ স্নাতক উপাধি লাভ কৰে। ইয়াৰ পিচত তেওঁ গুৱাহাটীত আইন পঢ়িবলৈ লয়, যদিও শেষ পৰীক্ষা নিদিলে।

বিশিষ্ট সাহিত্য সাধক প্ৰসন্নলাল চৌধুৰী আছিল একেবাহে কবি, নাট্যকাৰ, শিশু সাহিত্যিক আৰু গল্পকাৰ। ১৯১৯ চনত তেওঁৰ প্ৰথম কবিতা 'পূৰ্ণ প্ৰাণ সেউজী' নামৰ আলোচনীত প্ৰকাশ পায়। ১৯৫২ চনত তেওঁৰ 'অগ্নিমন্ত্ৰ' নামৰ কবিতা পুথি প্ৰকাশ হৈ ওলায়। তেওঁৰ ভালেমান কবিতা বিভিন্ন আলোচনী আদিত সিঁচৰতি হৈ আছে। 'চানেকি কবিতা' তেওঁৰ আন এখন কাব্য গ্ৰন্থ। তেওঁৰ কবিতাৰ মাজেৰে পদদলিত জনগণৰ মুক্তিৰ গান গাইছে আৰু নতুন জগত নিৰ্মাণৰ স্বপ্ন দেখিছে। একালে বিপ্লৱৰ দীপশিখা আৰু আনকালে বলিষ্ঠ ভাষা আৰু ছন্দৰ উদ্দাম গতি তেওঁৰ কবিতাৰ বৈশিষ্ট্য। দলিত, শোষিত,

নিষ্পেষিতসকলৰ ওপৰত শোষণ, উৎপীড়ন, বঞ্চনাৰ প্ৰতি তেওঁ বিদ্ৰোহ ঘোষণা কৰিছে, ভণ্ডামিৰ প্ৰতি বিদ্ৰোহ ঘোষণা কৰিছে আৰু পুৰণি আৰৰ্জনা পূৰ্ণৰক্ষণশীল সমাজ ব্যবস্থাৰ প্ৰতিও তেওঁ বিদ্ৰোহ ঘোষণা কৰিছে; যিয়ে তেওঁক সমাজত বিদ্ৰোহী কবি আখ্যা দিবলৈ বাধ্য কৰাইছে।

অম্বিকাগিৰি ৰায় চৌধুৰীৰ দৰে প্ৰসন্নলাল চৌধুৰীৰ হৃদয়তো এক জাতীয় প্ৰেমৰ ভাব উজ্জ্বলিত হোৱা দেখিবলৈ পোৱা যায়। ড° অমলেন্দু গুহৰ মতে— 'প্ৰসন্নলাল চৌধুৰীৰ কবিতা অসমীয়া ৰোমাণ্টিক কাব্যধাৰাৰ পৰিণত ফচল আৰু বাস্তৱমুখী আধুনিক কবিতা আন্দোলনৰ পথিকৃত বুলিয়েই মোৰ ধাৰণা।'

নাট্যকাৰ প্ৰসন্নলাল চৌধুৰীৰ 'নীলাম্বৰ' এখন উল্লেখযোগ্য যুৱজীমূলক নাটক। তেওঁ এগৰাকী সু-অভিনেতাও। ১৯২২-২৩ চনত তেওঁৰ নাট্য জীৱন আৰম্ভ হয় 'দেৱলা দেৱী' নাটৰ ৰুকণ সিংহৰ চৰিত্ৰ ৰূপায়নেৰে। এই অভিনয়ত প্ৰশংসিত হোৱাত অভিনয় জীৱনৰ প্ৰতি আকৃষ্ট হয় আৰু ১৯৩১-৩৩ চনৰ সময়ছোৱাত 'মিলন মন্দিৰ' নাট্য দল গঠন কৰে। মেৱাৰ পতন, ছাহজাহান, বন বীৰ, জনা, কালাপাহাৰ, চন্দ্ৰগুপ্ত, বিজয়া, কৰ্ণাৰ্জুন, ধৰ্ম পৰীক্ষা, নীলাম্বৰ, মানৰ দিন আদি বিভিন্ন নাটকত তেওঁ অভিনয় কৰি প্ৰশংসিত হোৱাৰ লগতে তেজপুৰ বাণ ৰংগমঞ্চতো অভিনয় কৰি সু-নাম অৰ্জন কৰে। প্ৰসন্নলাল চৌধুৰীৰ ১৯১৬ চনত বাৰিষাৰ ৰঙা ৰ'দ নামেৰে অনাতাঁৰ নাটক প্ৰকাশ পায়।

তেওঁৰ শিশু সাহিত্যৰ ভিতৰত মৌচাক, তেজৰ অৰিহণা, ৰাণা প্ৰতাপ আদি। প্ৰসন্নলাল চৌধুৰীৰ প্ৰথম গল্প প্ৰকাশ পায় ১৯১৮ চনত 'আসাম বান্ধৱ'ত। তেওঁৰ অন্যান্য গল্পসমূহ হ'ল বহুত কথা, আমাৰ দেশৰ সাধু আদি। চৌধুৰীয়ে প্ৰণয়ন কৰা গীতৰ পুথিসমূহ হ'ল— গুঞ্জৰী, ৰংগেফাগু খেলে। সম্পাদনা সাহিত্যৰ ভিতৰত তেওঁ মাধৱ কন্দলীৰ ৰামায়ণখন সম্পাদনা কৰে। ১৯৫১ চনত তেওঁ 'প্ৰকাশ' নামেৰে এখন সাপ্তাহিক বাতৰি কাকত সম্পাদনা কৰিছিল।

অসমীয়া সাহিত্যৰ বিভিন্ন দিশৰ প্ৰতি বহুমূলীয়া অৱদান আগবঢ়োৱা এইগৰাকী ব্যক্তিয়ে ১৯৭৮ চনত গোলাঘাটত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চচত্বাৰিংশ অধিৱেশনৰ সভাপতিৰ পদ অলংকিত কৰিছিল।

প্ৰসন্নলাল চৌধুৰীৰ চাকৰি জীৱন আৰম্ভ হয় ১৯২৭ চনত শিক্ষকতা বৃত্তিৰে। পোনতে তেওঁ পলাশবাৰী হাইস্কুলত এবছৰ শিক্ষকতা কৰে। তাৰ পিছত কামৰূপ অকাডেমী, বজালী হাইস্কুল আৰু ১৯৩০ চনৰপৰা ৰৰপেটা বিদ্যাপীঠত শিক্ষকতা কৰে আৰু ১৯৬৪ চনত এই স্কুলৰপৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিচত তেওঁ কিছুদিন ধৰি 'জীৱনলতা ছোৱালী হাইস্কুল'ত প্ৰধান শিক্ষকৰূপে শিক্ষাদান কৰে। ১৯৭১ চনৰপৰা ১৯৭৪ চনলৈকে ৰৰপেটা গোমুৰা বিদ্যা নিকেতন হাইস্কুলত প্ৰধান শিক্ষকৰূপে কাম কৰিব লগীয়া হয়।

পুৰণি ৰক্ষণশীল সমাজখন ধ্বংস কৰি এখন মানৱতাবাদী সমাজ গঢ়াৰ বাবে বিদ্ৰোহ কৰি যোৱা বিশিষ্ট কবি প্ৰসন্নলাল চৌধুৰীৰ মৃত্যু হয় ১৯৮৬ চনৰ ২০ জানুৱাৰীত। ◆

অতুল চন্দ্র বৰুৱা



জীৱনৰ প্ৰতিটো ক্ষেত্ৰত স্বাধীনতা প্ৰতিষ্ঠা কৰিবলৈ অবিৰাম সজাগতা আৰু সৰ্বাত্মক স্বাৱলম্বিতাৰ পোষকতা কৰা বিশিষ্ট লেখকগৰাকী অতুল চন্দ্ৰ বৰুৱা। অতুল বৰুৱাৰ জন্ম হয় ১৯১৬ চনৰ ২৯ মে'ত, দৰং জিলাৰ মাৰে গাঁৱত।

অতুল চন্দ্ৰ বৰুৱাৰ শিক্ষা জীৱন আৰম্ভ হয় মাৰে গাঁৱত। তাৰ পিচত তেওঁ ১৯৩৬ চনত মঙ্গলদৈ চৰকাৰী হাইস্কুলৰপৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে। ১৯৩৬ চনত তেওঁ কটন কলেজত ভৰ্তি হয় আৰু ১৯৪০ চনত কটন কলেজৰপৰা বি এ পাছ কৰে। ১৯৪৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম. এ. পাছ কৰে।

অতুল চন্দ্ৰ বৰুৱাই অসমীয়া ভাষা-সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থৰাজি হ'ল— ১৯৪৬ চনত প্ৰকাশিত শৰৎ চন্দ্ৰ গোস্বামীৰ চমু জীৱনী, ১৯৫৭ চনত প্ৰকাশিত সাহিত্যৰ তত্ত্ব সম্পৰ্কীয় আলোচনামূলক সাহিত্যৰ ৰূপৰেখা, ১৯৫৭ চনত প্ৰকাশিত 'প্ৰজাপতিৰ নিবন্ধ', ১৯৫৮ চনত প্ৰকাশিত 'সমালোচনা সাহিত্য', ১৯৫৮ চনত প্ৰকাশিত আন এখন পৃথি হ'ল ভূমি আৰু জীৱন, ১৯৬০ চনত সাহিত্য দৃষ্টি, ১৯৬১ চনত মদন আৰু বসন্ত, ১৯৬৩ চনত প্ৰকাশিত নবী কথা, ১৯৬৪ চনত প্ৰকাশিত ডাকে বোলে শুনা উপায়, ১৯৬৫ চনত প্ৰকাশিত সাহিত্য জীৱন, ১৯৬৭ চনত প্ৰকাশিত লোকদেৱতা, ১৯৬৯ চনত প্ৰকাশিত গল্প ভাৱতী, ১৯৭০ চনত প্ৰকাশিত অসমীয়া কাব্যত প্ৰেমৰ বোৱতী সৃষ্টি, ১৯৭৪ চত প্ৰকাশিত মনসা কাব্য আৰু ওজাপালি, ১৯৭৭ চনত প্ৰকাশিত অসমীয়া অভিধান আৰু ভাষা, ১৯৮১ চনত প্ৰকাশিত ছন্দ শিল্পী ভোলানাথ দাস, অসমীয়া লোকসাহিত্য, ১৯৮৬ চনত প্ৰকাশিত সানমিহলি, ১৯৮৮ চনত প্ৰকাশিত নৱৰত্ন। বৰুৱাৰ শিশু সাহিত্যৰ ভিতৰত— ১৯৫১ চনত প্ৰকাশিত পুৱণি পুথিৰ সাধু, ১৯৬৩ চনত প্ৰকাশিত সন্ধিয়াৰ সাধু,


১৯৭৮ চনত প্রকাশিত খেলিমেলি আদি উল্লেখযোগ্য। বৰুৱাদেৱে ১৯৭৫ চনত মহাপুৰুষ শংকৰদেৱ নামেৰে এখনি ভাঙনি পুথি প্রকাশ কৰে। অতুল চন্দ্র বৰুৱাদেৱে সম্পাদনা কৰা গ্রন্থসমূহৰ ভিতৰত— ১৯৪১ চনত কাব্য প্রভা, ১৯৫২ চনত অতীত আৰু বর্তমান, ১৯৭৪ চনত মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য, ১৯৭৭ ত ভোলানাথ দাস ৰচনাবলী, ১৯৮০ত ৰঘুনাথ চৌধাৰীৰ ৰচনাবলী, প্রথম খণ্ড, ১৯৯৬ চনত দ্বিতীয় খণ্ড আৰু ১৯৯৮ চনত তৃতীয় খণ্ড প্রকাশ পাইছে।

শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰা অতুল চন্দ্র বৰুৱাদেৱে ১৯৩৭ চনৰপৰা ১৯৪০ চনৰ ভিতৰত ছিপাঝাৰ হাইস্কুল, পাথৰিঘাট এম. ই. স্কুল আৰু মঙলদৈ স্কুলত শিক্ষকতা কৰে। ১৯৪৩ চনৰপৰা ১৯৪৯ চনলৈ তেওঁ শ্বিলং অসম সচিবালয়ত চাকৰি কৰে। ১৯৪৪ চনৰপৰা ১৯৪৯ চনৰ সময়ছোৱাত তেওঁ শ্বিলঙৰ ছেণ্ট মেৰীজ কলেজ আৰু এডমাণ্ডছ কলেজত প্রবক্তা ৰূপে কার্যনির্বাহ কৰে। ১৯৪৯ চনত তেওঁ এ. চি. এছ. পৰীক্ষাত উত্তীর্ণ হয় আৰু ১৯৫০ চনৰপৰা ১৯৫৩ চনলৈকে তেওঁ ৰঙিয়াত এছ ডি চি আৰু এছিষ্টেণ্ট ছেটেলমেণ্ট অফিচাৰ ৰূপে কার্যনির্বাহ কৰে। ১৯৬৯-৭০ চনত তেজপুৰৰ সদৰ এছ ডি অ' আৰু ১৯৭১-৭২ চনত এপেক্স মার্কেটিং ছোচাইটিৰ মেনেজিং ডাইৰেক্টৰ নিযুক্ত হয়। ১৯৭২-৭৪ চনৰ সময়ছোৱাত তেওঁ কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্তৰূপে অবসৰ গ্রহণ কৰে।

অতুল চন্দ্র বৰুৱাই বিভিন্ন সাহিত্য সংস্কৃতি আৰু শিক্ষামূলক অনুষ্ঠান-প্রতিষ্ঠানৰ লগত জড়িত আছিল। ১৯৪৫ চনৰ ১৪ জানুৱাৰীত শ্বিলং মুকুল সংঘ জন্ম হয় আৰু বৰুৱা এই অনুষ্ঠানৰ প্রতিষ্ঠাপক সম্পাদক হয়। ১৯৪৬-৪৮ চনৰ সময়ছোৱাত তেওঁ কলিকতা আৰু ঢাকা বিশ্ববিদ্যালয়ৰ পৰীক্ষক নিযুক্ত হয়। ১৯৫৫ চনৰ ২৭ ফেব্রুৱাৰীত তেওঁ গুৱাহাটী আলোচনা চক্রৰ সম্পাদক হিচাপে সেৱা আগবঢ়ায়। ১৯৭৭-৭৯ চনৰ সময়ছোৱাত তেওঁ দৰং জিলা সাহিত্য সভাৰ সভাপতি নির্বাচিত হয়। ১৯৮৮-৮৩ চনৰ সময়ছোৱাত তেওঁ অসমীয়া চলন্ত অভিধান প্রণয়ন সমিতিৰ সহকাৰী সম্পাদক আছিল। ১৯৭৭ চনত তেওঁ গুৱাহাটী মেট্রপলিটান ইনষ্টিটিউটৰ উপাধ্যক্ষ নিযুক্তি হয়।

১৯৭৯ চনৰ ১০ ফেব্রুৱাৰীত শুৱালকুছিত অনুষ্ঠিত হোৱা আসাম সাহিত্য সভাৰ ষটচত্বাৰিংশ অধিৱেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা তেওঁ কৈছিল-- 'অসম মৰিলে আমিও মৰিম। অসমৰ উন্নতিয়ে আমাৰ উন্নতি। অসমৰ গৌৰৱে আমাৰ গৌৰৱ তথা ভাৰতৰ গৌৰৱ। অসমীয়া, তুমি য'তেই নাথাকা— শদিয়া সীমান্ততে হওক বা ধুবুৰীৰ প্রান্ততে হওক, পর্বত পাহাৰতে হওক বা ভৈয়ামতে হওক, তুমি নৈ পৰীয়া চৰুৱাই হোৱা বা খিলঞ্জীয়া আদিবাসীয়ে হোৱা তোমাৰ এটাই পৰিচয়; তুমি আসমীয়া; শত বাধা-বিঘিনিৰ মাজতো যেন তোমাৰ অসমীয়া পৰিচয় জিলিকি থাকে।' ◆

যতীন্দ্রনাথ গোস্বামী



অসমীয়া জাতিৰ প্ৰতি সজাগ-সচেতন হৈ জাতিৰ উন্নতিৰ বাবে আগবাঢ়ি অহা ব্যক্তিসকলৰ ভিতৰত যতীন্দ্রনাথ গোস্বামীও অন্যতম। যতীন্দ্রনাথ গোস্বামীৰ জন্ম হয় ১৯১৮ চনৰ ১২ নবেম্বৰত, যোৰহাটৰ ওচৰৰ টীয়কৰ নেপালী সত্রত।

যতীন্দ্রনাথ গোস্বামীয়ে ছয় বছৰ বয়সতে পিতৃ-মাতৃক হেৰুৱাই মোমায়েকৰ আশ্রয়ত থাকি পঢ়া-শুনা কৰে। শিক্ষা জীৱনৰ আৰম্ভণি হয় টীয়ক প্রাথমিক বিদ্যালয়ৰপৰা। ১৯৩৭ চনত তেওঁ চেনাইৰাম হাইস্কুলৰপৰা প্রৱেশিকা পাছ কৰে। তেওঁ যোৰহাট জে বি কলেজৰপৰা ১৯৩৯ চনত আই এ পাছ কৰে। ১৯৪১ চনত তেওঁ কলিকতা বিপণ কলেজৰপৰা বি এ আৰু ১৯৪২ চনত শিলঙৰ ছেইণ্ট এডমাণ্ডছ কলেজৰপৰা বি টি পৰীক্ষাত উত্তীর্ণ হয়। ১৯৫০ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰপৰা এম এ পাছ কৰে।

যতীন্দ্রনাথ গোস্বামীয়ে অসমীয়া ভাষা সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছে। তেওঁৰ প্রকাশিত গ্রন্থসমূহৰ ভিতৰত— অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী, সাহিত্য চিন্তা, জগন্নাথ বৰুৱা, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ভাষাৰ ওজা হেমচন্দ্র গোস্বামী, ওজাৰপৰা প্রসাদলৈ, মৌচাক, মাতৃভাষাৰ শিক্ষা, শিক্ষা মনোবিজ্ঞানৰ আভাস, মেম, দস্যু সম্রাট, কালিকা লগা মিছা আদি। গোস্বামীদেৱৰ দ্বাৰা সংকলিত আৰু সম্পাদিত সাহিত্যৰ ভিতৰত বেজবৰুৱাৰ প্রবন্ধ বাছনি, মোৰ জীৱন সোঁৱৰণ— লক্ষ্মীনাথ বেজবৰুৱা, অসম সাহিত্য সভাৰ ভাষণাৱলী তৃতীয়ভাগ, অতুল চন্দ্র হাজৰিকাৰ লগত চতুর্থ ভাগ, আনন্দৰাম ঢেকিয়াল ফুকন, শৰৎ চন্দ্র গোস্বামী ৰচনাৱলী, ক্ষেত্রধৰ ৰৰগোহাঁইৰ প্রবন্ধ সংকলন, ভীম চৰিত্র, অম্বৰ্ণ বধ, বলিচলন কাব্য, অসম সাহিত্য সভাৰ প্রকাশনৰ বর্ণনামূলক তালিকা, কৃষ্ণকান্ত সন্দিকৈৰ ৰচনা সম্ভাৰ, বেজবৰুৱা গ্রন্থাৱলী (তৃতীয় ভাগ)।

যতীন্দ্রনাথ গোস্বামীদেৱে পোনতে প্রতিৰক্ষা বিভাগত চাকৰি কৰে। পিচত শিলং লাবান বয়েজ স্কুলত প্রধান শিক্ষকৰ পদ লাভ কৰি শিক্ষকতা কৰিবলৈ লয়। তেওঁ কিছুদিন কটন কলেজ আৰু জগন্নাথ বৰুৱা কলেজতো অধ্যপনা কৰে। ১৯৮০ চনত তেওঁ চাকৰিৰ পৰা অৱসৰ লয়।

গোস্বামীদেৱে ১৯৮০ চনৰ ২১, ২২ আৰু ২৩ মার্চৰ বহা শ্রীমন্ত শংকৰ ক্ষেত্রত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ অধিৱেশনত সভাপতিত্ব কৰিছিল। সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল— 'সাধাৰণ কথাত শব্দ আৰু অর্থৰ সমন্বয়াত্মক সৃষ্টিকেই সাহিত্য বোলা হয়। সাহিত্যৰ আত্মপ্রকাশ একান্তভাৱে শব্দাশ্রয়ী। শব্দই সাহিত্যৰ প্রাণ। চিন্তা, কল্পনা আৰু অনুভূতিৰ বৈচিত্র্য অনুসৰি এই শব্দ বিচিত্র জ্যোতিৰে প্রকাশিত হয়। ই কেতিয়াবা ছন্দোবদ্ধ আৰু ধ্বনি মধুৰ কেতিয়াবা সংলাপাশ্রিত, কেতিয়াবা আখ্যান আৰু বর্ণনাধর্মী, কেতিয়াবা আড়ম্বৰপূর্ণ আৰু বিস্তাৰিত ইত্যাদি। শব্দ অর্থগত পার্থক্য আৰু শব্দ বিন্যাসৰ কৌশল অনুযায়ী সাহিত্যৰ ৰূপভেদ প্রকট হৈ উঠে।'

যতীন্দ্রনাথ গোস্বামীয়ে অসম সাহিত্য সভাৰ লগত দীর্ঘদিনৰপৰা জড়িত হৈ আছিল। ১৯৩৫ চনৰ অসম সাহিত্য সভাৰ শিলং অধিৱেশনৰ তেওঁ কার্যনির্বাহকৰ সদস্য আছিল। ১৯৫৯ চনলৈ তেওঁ পাঁচবাৰৰ বাবে অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক আছিল। তেওঁ ১৯৫৯, ১৯৭০-৭১, ১৯৭১-৭২, ১৯৭২-৭৩ বর্ষৰ প্রধান সম্পাদক নির্বাচিত হয়। ১৯৭৪-৭৫ চনত তেওঁ অসম সাহিত্য সভাৰ উপসভাপতি নির্বাচিত হয়। গোস্বামীদেৱে সাহিত্য সভাৰ চন্দ্রকান্ত-ইন্দ্রকান্ত ন্যাস সমিতি, ৰাধাকান্ত সন্দিকৈ সমাৰোহ পুঁজি, চন্দ্রকান্ত সন্দিকৈ ভৱন অগ্নিবীমা পুঁজিৰ ধনভৰালীৰ দায়িত্বতও আছিল। তেওঁ ১৯৬৭ চনৰপৰা ১৯৬৮ চনলৈ অসম কলেজ শিক্ষক সংস্থাৰ উপ-সভাপতি ৰূপে কার্যনির্বাহ কৰে। ১৯৭৬-৭৭ বর্ষৰ সময়ছোৱাত তেওঁ এই অনুষ্ঠানৰ সভাপতি নির্বাচিত হয়। ১৯৯৭ চনত অসম সাহিত্য সভাই তেওঁক 'সাহিত্যাচার্য্য' উপাধিৰে সম্মানিত কৰে। ২০০৫ চনৰ .... নৱেম্বৰত গোস্বামীৰ পৰলোক হয়। ◆

সীতানাথ ব্রহ্মচৌধুৰী



অসমীয়া সাহিত্য-সংস্কৃতি, সমাজ আৰু শিক্ষা জগতলৈ বিপুল অবিহণা যোগাই অসমীয়া ভাষা আৰু জাতিক সমৃদ্ধি প্ৰদান কৰা একনিষ্ঠ জনজাতীয় লোকসকলৰ ভিতৰত সীতানাথ ব্রহ্মচৌধুৰী অন্যতম। জন্ম সূত্রে ব্রহ্মচৌধুৰীৰ পূৰ্বপুৰুষ আছিল গোৱালপাৰা জিলাৰ উত্তৰ পশ্চিমে ভূটানৰ অধীনত থকা বীপুদুৱাৰৰ সীমন্ত ৰজা। বীপুদুৱাৰৰ বাজবলী ৰজা গজাৰৰ পুত্ৰ কল্লাৰৰ সময়ত ইংৰাজৰ সৈতে হোৱা বিবাদৰ বাবে যুদ্ধত মৃত কল্লাৰৰ পত্নী গৰ্ভৱতী ৰাণী বিপুদুৱাৰৰপৰা পলাই আহি অসমৰ ভালুকমাৰীত থিতাপি লয়। এই ভালুকমাৰীতে ৰাণীৰ পুত্ৰ সন্তান গণ্ডৰামৰ জন্ম হয়। গণ্ডৰামৰ পুত্ৰ মনৰাকৰে কাঠৰ ব্যবসায় কৰিছিল। এই মনৰাকৰে ছয়টি সন্তানৰ কনিষ্ঠ সন্তান সীতানাথ ব্রহ্মচৌধুৰী।

১৯০৮ চনৰ ৮ অক্টোবৰ তাৰিখে ভালুকমাৰীত জন্ম হয় সীতানাথ ব্রহ্মচৌধুৰীৰ। ঘিলাণ্ডৰি নিম্ন প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষাৰ পাতনি মেলি ব্রহ্মচৌধুৰীৰ পুঠিমাৰি মজলীয়া স্কুলৰপৰা ১৯২৩ চনত এম. ভি. পৰীক্ষাত উত্তীৰ্ণ হয়। ধুবুৰী চৰকাৰী হাইস্কুলৰপৰা স্কুলীয়া জীৱন আৰম্ভ কৰা ব্রহ্মচৌধুৰী তেজপুৰ হাইস্কুলতো কিছুদিন পঢ়ি অৱশেষত শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা ১৯৩০ চনত প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩৩ চনত তেওঁ কটন কলেজৰপৰা আই. এ. পৰীক্ষাত আৰু ১৯৩৬ চনত বি. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। বি. এ. পৰীক্ষাত উত্তীৰ্ণ হৈয়েই তেওঁ আইন শিক্ষা লাভৰ বাবে আৰ্য কলেজত নামভৰ্তি কৰিছিল যদিও আৰ্থিক দুৰবস্থাৰ হেতু ইমানতে শিক্ষা জীৱনৰ সামৰণি মাৰিবলৈ বাধ্য হয়।

বঙাইগাঁৱৰ প্ৰথম ইংৰাজী শিক্ষাৰ অনুষ্ঠান বীৰৰাৰা প্ৰতিষ্ঠাৰে ব্রহ্মচৌধুৰীয়ে ১৯৩৯ চনৰ মাৰ্চ মাহৰ পৰা প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰি কৰ্মজীৱনৰ পাতনি মেলিছিল যদিও শিক্ষাৰ ক্ষেত্ৰতকৈয়ো সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ প্ৰতি তেওঁৰ আকৰ্ষণ অতি তীব্ৰ আছিল। এনে আকৰ্ষণৰ বাবে তেওঁ ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি পুলিচৰ লাঠীৰ

কোবত এটা আঙুলি হেৰুৱাবলগীয়াত পৰিছিল। শিক্ষাৰ প্ৰসাৰণৰ বাবে তেওঁ ১৯৪৫ চনত ধুবুৰী লোকেল বৰ্ডৰ সদস্য আৰু পিছলৈ ভাইচ চেয়াৰমেন হিচাপে ধুবুৰী মহকুমাৰ পিছপৰা কেইবাখনো গাঁৱত প্ৰাথমিক স্কুল প্ৰতিষ্ঠা কৰিছিল। ১৯৫২ চনৰ সাধাৰণ নিৰ্বাচনত ব্ৰহ্মচৌধুৰীয়ে কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি গোৱালপাৰা গাৱোপাহাৰ সমষ্টিৰপৰা লোকসভালৈ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। সাংসদ হিচাপে কাৰ্যনিৰ্বাহ কৰা কালছোৱাত ব্ৰহ্মচৌধুৰীয়ে তুলনামূলকভাবে পিছপৰা জনজাতিৰ উন্নতিৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। জনজাতিসকলৰ উন্নতিৰ বাবে 'ট্ৰাইবেল এফেয়াছ' শীৰ্ষক সুকীয়া বিভাগ এটাৰ জন্মৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছিল। অসমত তেল শোধনাগাৰ নিৰ্মাণৰ বাবে লোকসভাত দাবী উত্থাপন কৰোঁতাসকলৰ ভিতৰত ব্ৰহ্মচৌধুৰী আছিল অন্যতম। তাৰোপৰি অসমৰ ৰে'লপথাৰ সম্প্ৰসাৰণ আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ বাবেও তেওঁ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছিল। ১৯৫৫ চনৰ বাজ্য কমিছনৰ ওচৰত অসমৰ অখণ্ডতাৰ ৰক্ষাৰ্থে কোচবিহাৰ আৰু জলপাইগুৰিক অসমৰ সৈতে চামিলকৰণৰ বাবেও যুক্তিসহকাৰে দাবী উত্থাপন কৰিছিল ব্ৰহ্মচৌধুৰীয়ে। সাংসদ হৈ থকা সময়ত তেওঁ ভাৰতবৰ্ষৰ বিভিন্ন স্থানত অনুষ্ঠিত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় অধিৱেশনত অংশগ্ৰহণৰ সমান্তৰালকৈ ভূটান আৰু নেপাল ভ্ৰমণ কৰি চুবুৰীয়া ৰাষ্ট্ৰ দুখনৰ সৈতে ভাৰতৰ গভীৰ সম্পৰ্ক গঢ়ি তুলিবলৈল প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছিল।

১৩ বছৰমান বয়সৰেপৰা সাহিত্য চৰ্চাত আত্মনিয়োগ কৰা ব্ৰহ্মচৌধুৰীয়ে ১৭ বছৰ বয়সত প্ৰকাশ কৰি উলিয়াইছিল 'কমলকলি' শীৰ্ষক প্ৰথম কবিতাপুথিখন। সেই সময়ত আনন্দ চন্দ্ৰ আগৰৱালা গোৱালপাৰা জিলাৰ আৰক্ষী অধীক্ষক হিচপে কাৰ্যনিৰ্বাহ কৰি আছিল আৰু আগৰৱালাই ব্ৰহ্মচৌধুৰীৰ সাহিত্য-চৰ্চাৰ মনটোৰ উমান পাই ব্ৰহ্মচৌধুৰীক সাহিত্য-চৰ্চাৰ বাবে উৎসাহ-উদ্দীপনা যোগাইছিল। আগৰৱালাৰ উৎসাহ উদ্দীপনাতে ব্ৰহ্মচৌধুৰীয়ে ১৯২৬ চনৰ ডিচেম্বৰ মাহত বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত ধুবুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত কবিতা পাঠৰ সুযোগ লাভ কৰিছিল। সেই সময়ৰেপৰা ব্ৰহ্মচৌধুৰীয়ে তিলোত্তমা ৰৰুৱা ছদ্মনামত কবিতা লিখিবলৈ লৈছিল। ধুবুৰী হাইস্কুলত পঢ়ি থকা সময়তে আন দুগৰাকী বিখ্যাত সাহিত্যিক ডিম্বেশ্বৰ নেওগ আৰু দুৰ্গেশ্বৰ শৰ্মাৰ পৰাও তেওঁ যথেষ্ট অনুপ্ৰেৰণা লাভ কৰিছিল। ১৯২৯ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলত পঢ়ি থাকোঁতে ব্ৰহ্মচৌধুৰীৰৰ আন দুখন কাব্যগ্ৰন্থ 'চকুলো' আৰু 'আবেগ' প্ৰকাশিত হৈছিল। 'চকুলো কাব্যগ্ৰন্থখন প্ৰকাশ কৰিছিল তেওঁৰ সহপাঠী ৰিপুনাথ বুঢ়াগোহাঁইয়ে আৰু 'আবেগ' কাব্যগ্ৰন্থখন প্ৰকাশ কৰিছিল তিনিচুকীয়াৰ নখ্ৰহি চাহ-বাগিচাৰ কৰ্মচাৰী ধনীৰাম গগৈয়ে। 'আবেগ'ৰ পাতনি লিখিছিল প্ৰখ্যাত সাহিত্যিক পদ্মধৰ চলিহাই। কটন কলেজত পঢ়ি থকা কালছোৱাত তেওঁ সূর্য্যকান্ত ভূঞা, বাণীকান্ত কাকতি আদি কেইবাগৰাকীও অসমীয়া সাহিত্য জগতৰ পুৰোধা ব্যক্তিৰ সংস্পৰ্শলৈ আহিছিল। ১৯৫৬ চনত অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী উৎসৱ (ধুবুৰী) উদ্বোধন কৰিছিল ব্ৰহ্মচৌধুৰীয়ে। ১৯৭৫ চনৰ তিতাবৰ অধিৱেশনত তেওঁক সাহিত্য সভাৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱা হৈছিল। ১৯৭৭ চনত সাহিত্য সভাৰ অভয়াপুৰী অধিৱেশনৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰিছিল ব্ৰহ্মচৌধুৰীয়ে। ১৯৮০ চনত সাহিত্য সভাৰ ৰহা অধিৱেশনৰ কবি সম্মিলনত সভাপতিত্ব কৰিবলৈ তেওঁক আহ্বান জনোৱা হৈছিল যদিও ব্যক্তিগত অসুবিধাৰ বাবে তেওঁ সাহিত্য সভাৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিলে। ১৯৮১ চনত তিনিচুকীয়াত অনুষ্ঠিত সাহিত্য সভাৰ অধিৱেশনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। তেওঁ আছিল বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰচেষ্টাত জীৱনপাত কৰা এগৰাকী পুৰোধা ব্যক্তি। কুৰি শতিকাৰ আগভাগত অসমৰ সকলো শীৰ্ষস্থানীয় কাকত আলোচনীত কবিতা লিখা আৰু সুকাৰ্য্যৰ বৰ্জিত গাঁও সংগঠন' বিষয়ক পুস্তিকা (১৯৪০) লিখা ব্ৰহ্ম চৌধুৰীয়ে সভাপতিৰ অভিভাষণৰপৰা অসমীয়া মানুহক নিজৰ মাতৃভাষাৰ বাবে সকলো স্বাৰ্থ ত্যাগ কৰিবলৈ আহবান জনাইছিল। তদুপৰি অসমৰ ডেকাসকলক ব্যবসায় বাণিজ্যত মনোনিৱেশ কৰি অসমৰ অৰ্থনীতি সমৃদ্ধ কৰিবলৈ আহ্বান জনাইছিল। ভাণ্ডি থান বান হ'ব বিচৰা বহল অসমীয়া জাতিক সঁকীয়াই দি কৈছিল 'সকলো জনগোষ্ঠীৰে একতা বলত বলিষ্ঠ হোৱা অসমীয়া জাতিৰ একতা নষ্ট হৈ দলা দলি হ'লেই মৰণ।' ১৯৮২ চনত ডিফুত অনুষ্ঠিত সাহিত্য সভাৰ অধিৱেশনতো তেওঁ সভাপতিৰ আসন অলংকৃত কৰিছিল। উল্লেখনীয় যে ১৯৭৫ চনত অসম চৰকাৰে প্ৰদান কৰা সাহিত্যিক পেঞ্চন তেওঁ দৃঢ়তাৰে প্ৰত্যাখান কৰিছিল। ১৯৭৬ চনত তেওঁৰ কবিতা গ্ৰন্থ 'ফুলেশ্বৰী দৈমাৰি' প্ৰকাশিত হৈছিল।

তেজপুৰ চৰকাৰী হাইস্কুলত পঢ়ি থাকোঁতে ব্ৰহ্ম চৌধুৰীয়ে ২১ বছৰ বয়সত বিষ্ণু ৰাভাৰ ভগ্নি কমলা ৰাভাক বিয়া কৰাইছিল যদিও বিয়াৰ তিনিমাহ পিছতে তেওঁৰ পত্নীৰ অকাল মৃত্যু ঘটিছিল। ১৯৩৯ চনত উজান বজাৰৰ মাইনৰ স্কুলত ইংৰাজী শিক্ষা লভা আধুনিক মনৰ নাৰী ঢালিগাঁৱৰ অম্বাৱতী ব্ৰহ্মক তেওঁ দ্বিতীয়বাৰ বিয়া কৰাইছিল। তিনিগৰাকী পুত্ৰ আৰু পাঁচগৰাকী কন্যা সন্তানেৰে আছিল তেওঁৰ পৰিয়াল। ১৯৮২ চনৰ ২৩ নৱেম্বৰ তাৰিখে এইগৰাকী মহান্ অসমীয়াৰ পৰলোক প্ৰাপ্তি ঘটে। ◆

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য



সৃষ্টিধৰ্মী প্ৰতিভা আৰু সাধনাৰ অপূৰ্ব সমাহাৰ, আধুনিক চিন্তাৰ বাহক, সংস্কৃতি ভাবনাৰে দীপ্তিমান ব্যক্তিত্ব, সমাজবাদী চেতনাৰে উদ্বুদ্ধ চিন্তা নায়ক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আধুনিক অসমীয়া সাহিত্যৰ এক উজ্জ্বল নক্ষত্ৰ। ড° ভট্টাচাৰ্য আছিল একেধাৰে কবি, ঔপন্যাসিক, গল্পকাৰ, প্ৰাবন্ধিক, অনুবাদক আৰু ৰাজনৈতিক ভাষ্যকাৰ তথা এগৰাকী সাংবাদিক। অসমীয়া উপন্যাস সাহিত্যিত তেওঁৰ গভীৰ মানৱতাবোধ, আৰ্থ-সামাজিক-ৰাজনৈতিক চেতনা, বৈচিত্ৰপূৰ্ণ বিষয় আৰু চেতনাৰ সংযোজন অভিনৱ।

১৯২৪ চনৰ ১৪ অক্টোবৰ তাৰিখে শিৱসাগৰৰ ছফাই চাহ-বাগিচাত জন্ম হয় ড° ভট্টাচাৰ্যৰ। তেওঁৰ পিতৃৰ নাম আছিল শশীধৰ ভট্টাচাৰ্য আৰু মাতৃ আইদেউ ভট্টাচাৰ্য। জন্মসূত্ৰে ভট্টাচাৰ্য আছিল এক উচ্চ বংশজাত সন্তান। ড° ভট্টাচাৰ্যৰ পূৰ্বপুৰুষ ত্ৰয়োধৰ শৰ্মাৰ পুত্ৰ লক্ষ্মীনাথ শৰ্মাই সৌ তাহানিৰ দিনতে কলিকতা বিশ্ববিদ্যালয়ৰপৰা এম. এ. পাছ কৰিছিল আৰু এইগৰাকী লক্ষ্মীনাথ শৰ্মাৰ সভাপতিত্বতে অসমৰ প্ৰথমখন কংগ্ৰেছ কমিটী গঠন কৰা হৈছিল। তদুপৰি ড° ভট্টাচাৰ্যৰ কৱদেউতাক প্ৰয়াত কৃষ্ণকান্ত ভট্টাচাৰ্য 'অসম বিলাসিনী' কাকতৰ প্ৰকাশক তথা সম্পাদক আছিল। সাতগৰাকী সন্তানৰ ভিতৰত ভট্টাচাৰ্য আছিল পিতৃ-মাতৃৰ দ্বিতীয় সন্তান। বিশিষ্ট কবি তথা সমালোচক নলিনীধৰ ভট্টাচাৰ্য, ড° ভট্টাচাৰ্যৰ ককায়েক।

ছফাইৰ চাহ-বাগিচাতে প্ৰাথমিক শিক্ষা জীৱন আৰম্ভ কৰা ড° ভট্টাচাৰ্যই কাকজান এম. ই. স্কুলৰপৰা বৃত্তি লাভ কৰি ১৯৪১ চনত যোৰহাট চৰকাৰী হাইস্কুলৰপৰা সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। যোৰহাটত পাঁচ থকা হাইস্কুলীয়া দিনতে তেওঁ ডিম্বেশ্বৰ নেওগ, মিত্ৰদেৱ মহন্ত, ত্ৰৈলোক্যনাথ গোস্বামী, ড° মহেশ্বৰ নেওগ আদি অসমীয়া সাহিত্যৰ পুৰুষা ব্যক্তিসকলৰ

সান্নিধ্যলৈ আহি সাহিত্যৰ পৃথিবীখনলৈ আকৃষ্ট হয়। সান্নিধ্যৰ ফলশ্রুতিতে অজিত কুমাৰ শর্মাৰ হাতে (প্রাক্তন সাংসদ) লিখা 'দৈনিক কাকত' ভোগদৈ'ত লিখিবলৈ লৈছিল। ড° ভট্টাচার্যৰ প্রথমটো গল্প ছপা হয় হাইস্কুলৰপৰা প্রকাশ পোৱা আলোচনী 'জেউতি'ত। ১৯৪৩ চনত তেওঁ কটন কলেজৰপৰা আই. এছ. চি. আৰু ১৯৪৫ চনত বি. এছ. চি. পৰীক্ষাত সুখ্যাতিৰে উত্তীর্ণ হয়। কটন কলেজত আই. এছ. চি.ৰ প্রথম বার্ষিকৰ ছাত্র হৈ থাকোঁতেই তেওঁ 'মৰহি পৰা জীৱন' নামৰ গল্পটোৰ বাবে কটন কলেজৰ শ্রেষ্ঠ গল্পকাৰৰ সম্মান লাভ কৰিবলৈ সক্ষম হয়। স্নাতক পৰীক্ষাত উত্তীর্ণ হৈ উঠিয়েই তেওঁ কলিকতালৈ সাংবাদিকতা পাঠ্যক্রম গ্রহণ কৰাৰ মানসেৰে যাত্রা কৰে যদিও বিশেষ অসুবিধাবশতঃ আইনৰ পাঠ্যক্রমতহে নামভর্তি কৰিবলগীয়া হয়। কিন্তু ১৯৪৬ চনত কলিকতাত হোৱা ভয়ংকৰ সাম্প্রদায়িক সংঘর্ষত কবি অমূল্য বৰুৱা নিহত হোৱাৰ পিছত তেওঁ কলিকতা ত্যাগ কৰিবলৈ বাধ্য হয়।

কলিকতাৰপৰা উভতি আহি দেৱকান্ত বৰুৱা সম্পাদিত 'দৈনিক অসমীয়া'ত যোগদান কৰে সাংবাদিক হিচাপে। উল্লেখনীয় যে কলিকতাত পঢ়ি থকাৰ সময়তো ড° ভট্টাচার্যই 'এডভান্স' নামৰ কাকতখনত চাকৰি কৰিছিল।

'দৈনিক অসমীয়া'ত কাম কৰাৰ পাছত নগা ৰাজ্যৰ উখ্রুললৈ গৈ তাৰে চৰকাৰী হাইস্কুলৰ এখনত ডেৰ বছৰতকৈ অধিককাল শিক্ষকতা কৰে। ১৯৫২ চনৰ প্রথম ভাগত চাকৰি এৰি গুৱাহাটীলৈ গুচি আহি 'ৰামধেনু'ৰ সম্পাদনাৰ দায়িত্ব লয়। তেওঁ 'ৰামধেনু' পঞ্চম বছৰ ১ম সংখ্যা ১৯৫২ চনৰ এপ্রিলৰপৰা ১৯৬৩ চনৰ এপ্রিল ষোড় বছৰ ১ ম সংখ্যালৈ সম্পাদনাৰ দায়িত্ব পালন কৰে। 'ৰামধেনু'ৰ সম্পাদনাৰ জৰিয়তে তেওঁ এক দশকৰ ভিতৰতে অৰুণোদই যুগ, জোনাকী যুগ আদিৰ দৰে গৌৰৱময় সাহিত্যৰ 'ৰামধেনু যুগ'ৰ সুচনা কৰে। ৰামধেনু যুগৰ স্রষ্টা হিচাপে তথা ৰামধেনুৰ জৰিয়তে আধুনিক অসমীয়া সাহিত্যৰ পৰম্পৰাগত এক বহল আৰু শক্তিশালী ৰূপত প্রতিষ্ঠা কৰাৰ বাবে ড° ভট্টাচার্য অসমীয়া সাহিত্যৰ ইতিহাসত এক চিৰস্মৰণীয় ব্যক্তিৰূপে সুপ্রতিষ্ঠিত।

ৰামধেনুৰ পিছতে তেওঁ চাৰি বছৰ কাল 'নৱযুগ' নামৰ সাপ্তাহিক আলোচনী এখনৰ সম্পাদনাৰে যথেষ্ট কৃতিত্ব দেখুৱাইছিল। 'প্রকাশ' আলোচনীৰো 'মুখ্য সম্পাদক'ৰ দায়িত্ব পালন কৰিছিল ভট্টাচার্যই।

১৯৫৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা প্রাইভেটকৈ তেওঁ অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্রী লাভ কৰে। ১৯৭৭ চনত 'Humour and Satire in Assamese Literature' শীর্ষক গৱেষণা গ্রন্থখনৰ বাবে তেওঁ বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্রী লাভ কৰে।

মহাত্মা গান্ধীৰ আদর্শেৰে অনুপ্রাণিত ড° ভট্টাচার্যই অসমৰ সমাজবাদী আন্দোলনৰ আদর্শ প্রচাৰৰ বাবে দেহে-কেহে খাটিছিল। সমাজবাদী দলৰ মুখপাত্র 'জনতা'ৰ সম্পাদনাৰ দায়িত্বও তেওঁ পালন কৰিছিল। ১৯৬০ চনত হোৱা অসমীয়া ভাষা প্রতিষ্ঠাৰ আন্দোলনতো তেওঁ বিশেষ ভূমিকা গ্রহণ কৰিছিল। ১৯৭৫ চনৰ দেশৰ জৰুৰীকালীন অৱস্থাৰ সময়তো তেওঁ তেওঁৰ কলম সামৰি লোৱা নাছিল। ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা অসমৰ অস্তিত্বৰক্ষাৰ আন্দোলনৰ এগৰাকী নীৰৱ সমর্থক হ'লেও ড° ভট্টাচার্যই দিয়া আশু সমাধানৰ বাবে তেতিয়াৰ প্রধান মন্ত্রী ইন্দিৰা গান্ধীক লগ কৰিছিল। ১৯৮৩ চনৰ নির্বাচনী অশান্তিৰ সময়ত ৰাইজৰ মাজত সোমাই পৰিছিল তেওঁ।

ড° ভট্টাচাযই কিছুদিন গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ৰাম মনোহৰ লোহিয়া' আসনতো অধ্যাপক হিচাপে অধিষ্ঠিত হৈছিল। জব্বলপুৰ বিশ্ববিদ্যালয়ে তেওঁক সম্মানীয় ডি. লিট. উপাধিৰে বিভূষিত কৰিছিল।

ড° ভট্টাচার্যৰ সাহিত্য সম্ভাৰে অসমীয়া সাহিত্যৰ ভৰাল টনকিয়াল কৰাত বিশেষভাৱে অবদান আগবঢ়াই গৈছে। তেওঁৰ উপন্যাসসমূহ হ'ল— ৰাজপথে বিণ্ডিয়ায় (১৯৫৫), আই ('৬০), শতঘ্নী (৬৫), নষ্টচন্দ্র (৬৮), ভাৰতী (৬৯), প্রতিপদ (৭০), চিনাকি সুঁতি (৭১), কবৰ আৰু ফুল (৭২), পৰিব্রাজক (৭২), বল্লৰী (৭৩), এটি নিশা (৭৩), টৰ আৰু টডা (৭৩), ডাইনী (৭৬), ৰঙা মেঘ (৭৬), শৰৎ কোঁৱৰ (৭৮), মুনি চুনি বেলিৰ পোহৰ (৭৯), কালৰ হুমুনিয়াহ (৮২), ফুল কোঁৱৰৰ পখী ঘোঁৰা (৮৮), প্রেম আৰু মৃত্যু (৯২), বুঢ়ী আইতাৰ পুৰাণ। তেওঁৰ চুটি গল্প-সংকলনসমূহ হ'ল — কলং আজিও বয়, সাতসৰী আৰু খিৰিকি কাষৰ আসন। তদুপৰি এক মাত্র কবিতাৰ সংকলন 'সান্ধ্য'ৰ আৰু জীৱনীসমূহৰ ভিতৰত শ্রীঅৰবিন্দ, বাংলাদেশৰ নৱজাগৰণ আৰু ঈশ্বৰ চন্দ্র বিদ্যাসাগৰ, কর্মবীৰ চন্দ্রনাথ শর্মা অন্যতম। সাহিত্য সংস্কৃতিৰ গ্রন্থৰ ভিতৰত ডেৰশ বছৰৰ

অসমীয়া সংস্কৃতিত এভূমুকি আৰু মহিম উছৱ। তেওঁৰ অন্যান্য গ্ৰন্থসমূহ হ'ল— সংবাদ সাহিত্য, অসমীয়া সাহিত্যত হাস্য ৰস, দেৱ দুন্দুভি বাজে কাৰ বাবে (অনুবাদ), ভাৰতৰ ইতিহাস (অনুবাদ), একুৰি এটা চুটি গল্প, সীমাই আমনি কৰে, ৰাছিয়া যাত্ৰা, গোপীনাথ ৰৰদলৈ, কৃষ্ণকান্ত, সাহিত্য চিন্তা, চীনত কি দেখিলো, পৰীনিতা ইত্যাদি।

১৯৬১ চনত ড° ভট্টাচাৰ্যই 'ঈয়াংকিইজম' গ্ৰন্থখনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে। সাহিত্য অকাডেমি বঁটা লাভ কৰোঁতা ভট্টাচাৰ্যই হৈছে তৃতীয়গৰাকী অসমীয়া তদুপৰি ১৯৭৯ চনত ড° ভট্টাচাৰ্যই 'মৃত্যুঞ্জয়ী' উপন্যাসৰ বাবে জ্ঞানপীঠ জ্ঞান লাভ কৰে। ড° ভট্টাচাৰ্যই প্ৰথম গৰাকী জ্ঞানপীঠ বঁটা বিজয়ী অসমীয়া।

ড° ভট্টাচাৰ্যৰ এক অন্যতম অৱদান আছিল নাট্য সাহিত্যলৈ আগবঢ়োৱা তেওঁৰ অৱদানসমূহ। সেইবোৰৰ ভিতৰত জোনাকী, অহল্যা, বলিয়া ৰৰাগী, এজন খঙাল যুৱক, ব্ৰহ্মচাৰী, শকুন্তলা, ভাৰতী, মুখা, বিবেক, সোণৰ ভোগজৱা আদি অন্যতম।


অসম সাহিত্য সভাৰ অন্যতম কৰ্ণধাৰ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ১৯৮৩ চনত বঙাইগাঁৱত অনুষ্ঠিত সাহিত্য সভাৰ সোণালী জয়ন্তী অধিৱেশনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। সভাপতিৰ অভিভাষণত তেওঁ কৈছিল সাহিত্য আৰু সাহিত্যৰ মুখ্য কৰ্তব্য হৈছে ভগা হিয়াবোৰ জোৰা দিয়া। প্ৰাণৰ অফুৰন্ত শক্তিৰে মানুহৰ মাজত হৃদয় আৰু যুক্তিৰ মিলন ঘটাই আমি জাতীয় বিকাশৰ পথ পৰিষ্কাৰ কৰিব লাগিব। ... আমি স্থিতিশীলতাৰ ভেটিত কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰো। আমি বৰ্তমানৰ জাতীয় চেতনাক এক নৱজাগৰণ কাৰ্যসূচীলৈ ৰূপান্তৰিত কৰিব লাগিব। ১৯৮৩ চনত তেওঁ সাহিত্য অকাডেমিৰ উপ-সভাপতি আৰু ১৯৮৭ চনৰ ফেব্ৰুৱাৰীৰপৰা তেওঁ সাহিত্য অকাডেমীৰ সভাপতিৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ জড়িত হৈ পৰা আন কেইটামান অনুষ্ঠান হ'ল— ভাৰতীয় জ্ঞানপীঠ বঁটাৰ চয়ন কমিটীৰ সদস্য, ভাৰত চৰকাৰৰ পাব্লিকেশ্যনছ ডিভিজনৰ তিনি বছৰ ধৰি উপদেষ্টা সমিতিৰ সভাপতি, ইণ্ডিয়ান কাউন্সিল ফৰ কালচাৰেল ৰিলেছনৰ গৰ্ভণিং বডিৰ সদস্য, নেশ্যনেল বুক ট্ৰাষ্টৰ ব'ৰ্ড, ট্ৰাষ্টিৰ সদস্য, পি, টি, চি, এল. ৰ আজীৱন সদস্য, প্ৰেছ্ কাউন্সিলৰ সদস্য। ড° বিধান চন্দ্ৰ ৰায় ৰাষ্ট্ৰীয় বঁটাৰেও ১৯৮৩ চনত ড° ভট্টাচাৰ্য সম্মানিত হৈছিল।

মন কৰিব লগীয়া যে ড° ভট্টাচাৰ্যই ১৯৬৮ চনৰপৰা ১৯৭৩ চনলৈ মুম্বাইৰ পৰা প্ৰকাশ পোৱা দৈনামিৰ এণ্ড পলিটিকেল উইকলি'ৰ গুৱাহাটীস্থ সংবাদদাতাৰূপে কাম কৰে।

১৯৫৮ চনৰ ছয় জুনত যোৰহাটলৈ বালিগাঁৱৰ বিনীতা ভট্টাচাৰ্যক ড° ভট্টাচাৰ্যই জীৱন-সংগিনী হিচাপে গ্ৰহণ কৰি যুগ্ম জীৱনৰ পাতনি মেলে।

সমগ্ৰ জীৱন জুৰি অসমীয়া তথা ভাৰতীয় ভাষা-সাহিত্যৰ সাধনাত মনোনিবেশ কৰা অসমৰ কৃতী সন্তান ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ পৰলোকপ্ৰাপ্তি ঘটে ১৯৯৭ চনৰ ৬ আগষ্ট তাৰিখে। ◆

যোগেশ দাস



ৰামধেনু যুগৰ এগৰাকী প্ৰতিষ্ঠিত গল্পকাৰ যোগেশ দাস। ১৯২৭ চনৰ ডুমডুমাৰ হাঁহচৰা বাগানত জন্মা দাসৰ পিতৃ সূৰ্যকান্ত দাস আৰু মাতৃ চিন্তামণি দাস। ডুমডুমাতে শিক্ষা জীৱনৰ পাতনি মেলা দাসে ১৯৪৯ চনত স্নাতক আৰু ১৯৩৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰা দাসে পাছত বি. ৰৱৰা মহাৰিদ্যালয়ত অধ্যাপনা কৰে আৰু উক্ত মহাবিদ্যালয়ৰ উল্লিখিত বিভাগৰ মুৰব্বীৰূপে অৱসৰ গ্ৰহণ কৰে।

সংবাদজগতৰ সৈতেও জড়িত দাস 'নতুন অসমীয়া' আৰু 'দৈনিক অসম' সম্পাদনাৰ বিভাগত কাম কৰিছিল। তদুপৰি তেখেত অসম সাহিত্য সভাৰ পত্ৰিকা, 'প্ৰহৰী' আৰু 'অধিনায়ক'ৰ সম্পাদক আছিল। 'পৃথিৱীৰ অসুখ' নামৰ গল্প সংকলনেৰে পৰিচিত হৈ পৰা যোগেশ দাস এগৰাকী সফল গদ্য শিল্পী। মানৱ জীৱনৰ সুখ, দুখ, আশা-আকাংক্ষা আৰু মানসিক অস্থিৰতাৰ প্ৰতিফলনেৰে তেওঁ চিন্তা আৰু কাহিনীৰ সৃষ্টি। তদুপৰি সময়ৰ লগে লগে অহা সমাজৰ পৰিৱৰ্তিত ৰূপো সূক্ষ্ম ৰূপত অংকন কৰি উলিয়াইছে তেখেতে। 'পৃথিৱীৰ অসুখৰ বাদেও তেখেতৰ অন্যান্য গল্প সংকলন 'পপীয়া তৰা', 'আন্ধাৰৰ আঁৰে আঁৰে', 'ত্ৰিৱেণী', 'মদাৰৰ বেদনা' আদি। এই গল্পবোৰতো তেখেতে সমাজত প্ৰত্যক্ষ কৰা ঘটনাবোৰক শৈল্পীক ৰূপত অংকন কৰাৰ যত্ন কৰিছে। সমাজৰ সাধাৰণজনৰ দুৰ্দশাগ্ৰস্ত ছবি আঁকি সমবেদনা যোগোৱাৰ উপৰি তেওঁলোকৰ জটিল বিষয়ৰ সমাধানৰো উৎস বিচাৰিবৰ যত্ন কৰিছে। সহজ-সৰল সাৱলীল ৰূপত উপস্থাপন কৰিছে চহৰ আৰু গ্ৰাম্য জীৱনৰ চিত্ৰ।

অসমীয়া সাহিত্যৰ অন্যতম সফল গদ্যশিল্পী যোগেশ দাসৰ 'জোনাকীৰ জুই', 'ছাঁ জুই খেদি', 'অবৈধ', 'ৰজনী বিদুৰ' আদি উল্লেখনীয় উপন্যাস। 'ডাৰৰ আৰু নাই' তেখেতৰ জীৱনৰ বিশেষ কৃতিত্ব। উপন্যাসখনত ঔপন্যাসিক দাসে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অন্যান্য ঠাইৰ লগতে অসমৰ ভিতৰলৈ ঠাই এখনতো কেনেকৈ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশত প্ৰভাৱ পৰিছিল তাৰ চিত্ৰ সুন্দৰ ৰূপত অংকন কৰিছে। লগে লগে উপন্যাসখনত উপস্থাপন হৈছে শোষণ-উৎপীড়ন, ভণ্ডামি, আকাংক্ষা আৰু অৱক্ষয়ৰ ছবি। সময়ে আনি দিয়া পৰিস্থিতিত মানুহৰ মানসিক অন্তৰ্দ্বন্দ্বৰ ছবিও সুস্পষ্ট ৰূপত ফুটি উঠিছে। সমালোচকৰ ভাষাত 'প্ৰাঞ্জলতা আৰু সংযম যোগেশ দাসৰ ৰচনাৰ বৈশিষ্ট্য। তদুপৰি দাসৰ গল্পত সমাজৰ অৱহেলিতজনৰ মানবীয় দিশ আৰু তথাকথিত ভাল মানুহৰ স্বাৰ্থপৰতাৰ কথা উদঙাই দাঙি ধৰাৰ চেষ্টা আছে।'

বিভিন্ন সম্মানেৰে সম্মানিত দাসে 'আকৌ বনে বনে'ৰ বাবে মোক্ষদানন্দ পাঠক শিশু সাহিত্য বঁটা, 'এনাজৰী' উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ সীতানাথ ব্ৰহ্মচৌধুৰী বঁটা, ১৯৯৪ চনত অসম উপত্যকাত সাহিত্য বঁটা আৰু ১৯৮০ চনৰ 'পৃথিবীৰ অসুখ' উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰে। ১৯৮৫ চনত অসম সাহিত্য সভাৰ এক পঞ্চাছতম অধিবেশনৰ সভাপতি আছিল। ◆

বীৰেন ৰৰকটকী



বীৰেন ৰৰকটকীৰ জন্ম হয় ১৯২৪ চনৰ ২৩ মাৰ্চত, শোণিতপুৰ জিলাৰ চতিয়া অঞ্চলৰ কালীবাৰী গাঁৱত। তেখেতৰ পিতাকৰ নাম পদ্মনাথ ৰৰকটকী আৰু মাকৰ নাম চন্দ্রপ্রভা ৰৰকটকী। তেওঁলোকৰ পুত্র তিনিজন আৰু তিনিগৰাকী কন্যা।

ৰৰকটকীয়ে সৰুকালৰ শিক্ষা চতিয়া এম ভি স্কুলৰ পৰা লাভ কৰে। তাৰ পিছত চতিয়া হাইস্কুলত ভর্তি হয়। এই হাস্কুলৰ পৰাই ১৯৪২ চনত প্রৱেশিকা পৰীক্ষা পাছ কৰে। এই সময়ত চলা ভাৰতৰ স্বাধীনতা আন্দোলনে বীৰেন ৰৰকটকীৰ মন আকৃষ্ট কৰে। তেওঁ প্রৱেশিকা পৰীক্ষা দি উঠিয়েই ভাৰতৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰে। ভাৰত ত্যাগ আন্দোলনত অংশগ্রহণ কৰা বাবে তেখেতে এবছৰ জেলত থাকিব লগীয়া হয়। তাৰ পিছত তেখেতে উচ্চ শিক্ষা ল'বলৈ কাশী হিন্দু বিশ্ববিদ্যালয়লৈ যায়। তাত দুবছৰ পঢ়ি আই এ পাছ কৰে। সেই সময়ত কাশী হিন্দু বিশ্ববিদ্যালয়ত উপাচার্য আছিল সর্বপল্লী ৰাধাকৃষ্ণণ। ৰৰকটকীয়ে কটন কলেজৰপৰা বি এ পাছ কৰে আৰু ১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম এ পাছ কৰে।

১৯৪৩ চনত ৰৰকটকীয়ে গুৱাহাটী 'নিউ প্রেছ'ত প্রথম চাকৰি জীৱন আৰম্ভ কৰে। তাত তেওঁ 'Despatching cleark' হিচাপে কিছুদিন কাম কৰে। এই প্রেছৰপৰাই ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালাৰ সম্পাদনাত 'সাদিনীয়া অসমীয়া' প্রকাশ পায়। এই কাকতত তেখেতে সহকাৰী সম্পাদক নিযুক্ত হয়। বি এ পাছ কৰাৰ পিছত, 'দৈনিক অসমীয়া'ত সহযোগী সম্পাদক তথা ষ্টাফ ৰিপ'টাৰ নিযুক্ত হয়। তেওঁ 'ৰামধেনু' আলোচনীও সম্পাদনা কৰে। তেখেত 'দৈনিক অসম' কাকতৰ জন্মলগ্নৰপৰা শিৱসাগৰত সংবাদদাতা আছিল। কিন্তু সাংবাদিক জীৱন বাদ দি শিক্ষকতা কৰিবলৈ লয়। ১৯৫০ চনত তেওঁ

জামুগুৰি হাইস্কুলত সহকাৰী শিক্ষকৰূপে যোগদান কৰে। ১৯৫৩ চনত তেওঁ শিৱসাগৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা নিযুক্ত হয়। পিছত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকৰ পদ পায়। ১৯৭১ চনত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে যোগদান কৰি ১৯৮৫ চনত বৰকটকীয়ে চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে।

বৰকটকী ডাঙৰীয়াই অভিনয় জীৱনৰ লগতো জড়িত আছিল। তেওঁ 'কুৰুক্ষেত্ৰ', 'পিয়লি ফুকন', 'শিবাজী', 'মন্ত্ৰিৰ আজান' আদি বিভিন্ন নাটকত অভিনয় কৰাৰ উপৰি শিৱসাগৰ নাট্য মন্দিৰত অনুষ্ঠিত কেইবাখনো নাটকৰ অভিনয়ত ভাগ লয়।


সৰুকালৰপৰাই সাহিত্য সাধনাত মনোনিৱেশ কৰি পঞ্চমমান শ্ৰেণীত পঢ়ি থাকোঁতে হাতে লিখা আলোচনী সম্পাদনা কৰে। তেওঁ নাটক, উপন্যাস, কবিতা, প্ৰবন্ধ, সমালোচনা, ৰম্য-ৰচনা আদি সাহিত্যৰ বিভিন্ন দিশলৈ বিশিষ্ট ৰৰঙনি আগবঢ়াইছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল— কবিতা— মন্বন্তৰ (১৯৫৯), চিৰন্তন চিনাকি পৃথিবী আদি। উপন্যাস— ভৰলীৰ পাৰে পাৰে। অনুবাদমূলক— কুমাৰী পৃথিবী, প্ৰেম আৰু শংকাৰে। জীৱনী— খোজতে মিলাও খোজ। আলোচনামূলক— সাহিত্যৰ পটভূমি (১৯৬৯), সাহিত্য সংস্কৃতিৰ দুটি এটি, পাশ্চাত্য সাহিত্যত এভূমুকি, ইংৰাজী ৰমন্যাসিক কবিৰ কাব্য প্ৰতিভা আদি। সম্পাদিত— বেজবৰুৱাৰ সাহিত্য প্ৰতিভা, ঔপন্যাসিক ৰজনীকান্ত ৰৰদলৈ, তুলিকাৰ প্ৰাণ আৰু দৃষ্টি আদি। তেওঁৰ অন্যান্য গ্ৰন্থ হ'ল— শিশু মনৰ সাধু, মহৰ্ষি টলষ্টয়ক বুজাৰ চেষ্টাৰে, মৃত্যু গচকি আনা জয় জিনি আদি।

১৯৫৭ চনৰপৰা তেওঁ অসম সাহিত্যসভাৰ লগত জড়িত হয়। ১৯৭৫ চনত তিতাবৰ আৰু ১৯৮৫ চনত বিহপুৰীয়াত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনৰ আলোচনা-চক্ৰত তেওঁ সভাপতিত্ব কৰিছিল। ১৯৭৭ চনত অভয়াপুৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনৰ কবি সম্মিলনত তেওঁসভাপতিত্ব কৰে। ১৯৮৫ চনত দিল্লীত অনুষ্ঠিত হোৱা নিখিল ভাৰত কবি সম্মিলনত তেওঁ অংশগ্ৰহণ কৰে।

১৯৮৬ চনৰ ২১, ২২ আৰু ২৩ ফেব্ৰুৱাৰীত কামপুৰৰ মাধৱ কন্দলী ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বি-পঞ্চাশত্তম অধিৱেশনৰ তেওঁ সভাপতি আছিল।

বীৰেন বৰকটকীৰ পৰলোকপ্ৰাপ্তি হয় ২০০২ চনৰ ৪ নৱেম্বৰত।

ড° মহেন্দ্র বৰা



কুৰি শতিকাৰ দ্বিতীয়াৰ্ধত যি কেইগৰাকী কবিৰ কবিতাৰে অসমীয়া কবিতাৰ ৰূপ আৰু ৰসৰ সলনি কৰি নতুন স্বাদ দিছিল সেইকেইগৰাকী মুষ্টিমেয় আধুনিক কবিৰ ভিতৰত ড° মহেন্দ্র বৰাও এজন। ১৯২৯ চনৰ আগষ্ট মাহৰ ২২ তাৰিখে তিনিচুকীয়া জিলাৰ টিংখাঙত তেখেতৰ জন্ম। চৈখোৱা প্রাথমিক স্কুলত শিক্ষা আৰম্ভ কৰি ১৯৪৭ চনত শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্রৱেশিকা, ১৯৫১ চনত ইংৰাজী বিষয়ত সম্মানসহ কটন কলেজৰ পৰা স্নাতক আৰু ১৯৫৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্রী লাভ কৰে।

এটি বৰ্ণীল কর্মময় জীৱন উপভোগ কৰা ড° বৰাই ডিব্রুগড় আইন মহাবিদ্যালয়, দৰং মহাবিদ্যালয়, কটন মহাবিদ্যালয় আৰু বিলাসীপাৰা মহাবিদ্যালয়ত অধ্যাপনা কৰে। শেষত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অধ্যাপক ৰূপে নিযুক্ত হয়।

স্কুলীয়া জীৱনতে সাহিত্যৰ জগতত প্রৱেশ কৰা মহেন্দ্র বৰা 'জাতিস্মৰ'ৰ কবি ৰূপে পৰিচিত। ১৯৬১ চনত প্রথম কাব্যগ্রন্থ 'জাতিস্মৰ'ৰ পাছত 'এই নদীয়েদি', 'ৰূপৰ টিলিঙাৰ মাত', 'নীলা ধতুৰা ফুল' আদি তেখেতৰ উল্লেখনীয় কবিতা সংকলন। বিশিষ্ট সমালোচক ড° সত্যেন্দ্রনাথ শর্মাই মহেন্দ্র বৰাৰ কবিতাত 'অনুভূতিৰ লগত দর্শনৰ পাতল প্রলেপ আৰু ৰোমাণ্টিক ব্যঞ্জনা, ধ্বনিলয় আৰু সামাজিক চিন্তাৰ সংমিশ্রণৰ উপলব্ধি কৰা যায়' বুলি মন্তব্য কৰিছে। 'জাতিস্মৰ', 'কেৰাণী শ্যেলীৰ চিঠি', 'মধুমালতীৰ চিঠি' আদি বহু পঠিত কবিতা। আধুনিক কবি হ'লেও ৰোমাণ্টিক গুণগুণনিৰ মাজত কিছু পৰিমাণে আৱদ্ধ মহেন্দ্র বৰাৰ কবিতাৰ মাজত লৌকিকতা আৰু আধ্যাত্মিকতা এই দুয়োটা চেতনাৰে সুৰ শুনা যায়।


কবি হিচাপে পবিচয় থাকিলেও মহেন্দ্র ববা এগবাকী, অনুবাদক, সম্পাদক। সর্বোপবি তেখেত এগবাকী গবেষক পণ্ডিত। (কিতাপব নাম) ধবি গালিভাব' আদি তেখেতব অনুবাদ কর্ম। তেখেতব সম্পাদনাত প্রকাশিত 'নতুন কবিতা', আনন্দ চন্দ্র আগবৱালাব বচনাবলী', 'দুর্গেশ্বব শর্মাব বচনাবলী' আদি অতি উল্লেখনীয় সম্পাদিত গ্রন্থ।

অসমীয়া কবিতাব ছন্দ সম্পর্কত মহেন্দ্র ববাই প্রায় প্রথমতে এটি নতুন বিষয়ত আলোচনা কবে। এই দিশত নন্দন তাত্ত্বিক আলোচনাবে গবেষণালব্ধ কার্যবে প্রকাশ কবি উলিওৱা 'অসমীয়া কবিতাব ছন্দ' অসমীয়া সাহিত্যব বাবে অনবদ্য অবদান। তদুপবি 'ফুল, তবা, গান', 'বমন্যাসবাদ', 'সাহিত্য উপক্রমণিকা', 'অসমীয়া ছন্দব শিল্পতত্ত্ব' আদি অতি আগশাবীব আলোচনাত্মক গ্রন্থ।

'উপলা নদীব দবে' আত্মজীবনীখন নামটোব দবেই কোমল আৰু ব্যঞ্জনাময়।

ড° মহেন্দ্র ববাই অসম সাহিত্য সভাব ত্রিপঞ্চাশত্তম পাঠশালা অধিবেশন, ১৯৮৭ চনত সভাপতিব আসন অলংকিত কবিছিল। ◆

কীর্তিনাথ হাজৰিকা



অসমৰ বিভিন্ন সমস্যা, সংকট আৰু বিশেষকৈ বিপন্ন হ'ব খোজা অসমৰ অস্তিত্ব ৰক্ষাৰ হেতু বিদেশী নাগৰিক বহিষ্কৰণৰ সমস্যাটোকে সৰ্বাগ্ৰ স্থান দিয়া ব্যক্তিগৰাকীয়ে হ'ল— কীর্তিনাথ হাজৰিকা। তেওঁ মনে-প্ৰাণে এগৰাকী জাতীয় ভাৱাপন্ন ব্যক্তি।

কীর্তিনাথ হাজৰিকাৰ জন্ম হয় ১৯২২ চনৰ ২২ জুলাইত, গোলাঘাট চহৰৰ আমোলাপট্টিত। তেওঁৰ পিতাকৰ নাম হৰনাথ হাজৰিকা আৰু মাতৃ কৃষ্ণা হাজৰিকা। তেওঁ যোৰহাটৰ প্ৰেকটিচিং স্কুলৰ পৰা প্ৰাথমিক শিক্ষা লাভ কৰে। গোলাঘাট চৰকাৰী বেজবৰুৱা হাইস্কুলৰ পৰা তেখেতে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪২ চনত হাজৰিকা ডাঙৰীয়াই কটন কলেজৰ পৰা আই এছ চি আৰু ১৯৪৫ চনত চিলেটৰ মুৰাৰীচাঁদ কলেজৰ পৰা বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ বিদ্যালয়ত পঢ়ি থকা সময়ৰপৰাই দিনপঞ্জী লিখাৰ অভ্যাস গঢ়িছিল। অভ্যাস গঢ়িছিল ভাল লগা কথা, কবিতা, তথ্য সংগ্ৰহ কৰা আৰু তাক টুকি ৰখা। এই সময়তে ডঃ সূর্যকুমাৰ ভূঞাই লিখা আনন্দৰাম বৰুৱাৰ জীৱনীখনে তেওঁৰ মনত সাহস আৰু সাধনাক শ্ৰদ্ধা কৰাৰ বীজ অংকুৰিত হৈছিল। তদুপৰি এই সময়ছোৱাত খেলা-ধূলা আৰু অভিনয়ৰ ক্ষেত্ৰতো তেওঁৰ বিশেষ অনুৰাগ জন্মে। কলেজত বেডমিণ্টন খেলত ডবলচত চেম্পিয়ন হয়। নাট অভিনয়ৰ প্ৰতিও এই সময়তে তেওঁ আকৃষ্ট হৈছিল।

বেজবৰুৱা হাইস্কুলৰ নৱমমান শ্ৰেণীত পঢ়া কালৰপৰাই তেওঁৰ সাংবাদিক জীৱনৰ প্ৰাতনি বুলিব পাৰি। সেই সময়তে বিদ্যালয়ৰ মুখপত্ৰখন সহপাঠী তুলসী বৰগোহাঁইৰ লগত যুটীয়াভাৱে সম্পাদনা কৰি উলিয়াইছিল। এই ক্ষেত্ৰত বিদ্যালয়ৰ কৃতী শিক্ষক গোলাপ চন্দ্ৰ গোস্বামীৰ উদ্‌গনি লাভ কৰিছিল।

১৯৪৫ চনত গোলাঘাটৰপৰা গুৱাহাটী পোৱাত তেওঁ একেবাৰে 'ৰিক্ত হস্তে' অহা বুলি কৈছে। ১৯৪৬ চনত সেই উদং

হাতত পৰিছিল তেওঁ কৰা কছ ভাষাৰ উপন্যাস' ৰেইনব'ৰ অসমীয়া অনুবাদ 'ৰামধেনু' কিতাপখন। কলিকতাৰ 'এলেম' গ্ৰেছত কেতিয়াবাই ছপাবলৈ দিওঁতে হেনো পাণ্ডুলিপিখন কলিকতাত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত প্ৰায় লোপ পাবলগীয়া অৱস্থা হৈছিল। কিন্তু তেওঁৰ ভাগিনীয়েক সুকুমাৰ বৰুৱা আৰু ডিব্ৰুগড়ৰ বহু দত্তৰ চেষ্টাত যেনিবা পাণ্ডুলিপিখন ৰক্ষত অৱস্থাত থাকিল আৰু ছপাও হ'ল। সেই সময়ত 'ৰামধেনু'খনেই তেওঁৰ কাৰণে সম্পদ হ'ল । কিতাপখন পঢ়ি ডঃ বাণীকান্ত কাকতিয়ে পঠোৱা কাৰ্ডখন তেখেতে সযতনে সংৰক্ষণ কৰিছিল। ডঃ বাণীকান্ত কাকতিৰ মন্তব্যই হাজৰিকাৰ জীৱনলৈ প্ৰত্যাশা আৰু সাহস বঢ়াই তোলে।


হাজৰিকা ডাঙৰীয়াই কয় যে 'ৰামধেনু'ৰেই হেনো তেওঁক সাংবাদিক জগতলৈ আনে। সেই বছৰতে নতুনকৈ ওলোৱা 'দৈনিক অসমীয়া' কাকতত তেওঁ উপসম্পাদকৰূপে নিযুক্তি লাভ কৰে। তৰুণ চন্দ্ৰ আগৰৱালাই 'নিউ প্ৰেছ'ৰপৰা প্ৰকাশ কৰা কাকতখনৰ সম্পাদক আছিল দেৱকান্ত বৰুৱা। দেৱকান্ত বৰুৱায়েই হাজৰিকা আৰু নগাঁৱৰ ৰূপৰাম সুতকে ধৰি আন কেইবাজনকো নিযুক্ত কৰে। দেৱকান্ত বৰুৱা হ'ল কীৰ্তিনাথ হাজৰিকাৰ সাংবাদিক জীৱনৰ গুৰু। তাৰ পিছত 'দৈনিক অসমীয়া'ৰ শিলং কার্যালয়ৰ দায়িত্বত শিলঙত কাম কৰোঁতে গুৰু হিচাপে গ্ৰহণ কৰিছিল— 'হিন্দুস্তান ষ্টেণ্ডার্ড' কাকতৰ সেই সময়ৰ শিলং কার্যালয়ৰ মুৰব্বী হেমন্ত কুমাৰ গুপ্তক। সাংবাদিকতাত শিকিবলগীয়া বহুতো কথাই তেওঁ গুপ্তৰ পৰা শিকিছিল। তেওঁৰ লগত হাজৰিকাৰ এটা মধুৰ সম্পর্ক আছিল। অসম আৰু অসমীয়াৰ স্বাৰ্থত আৰু জৰুৰী অৱস্থাৰ সময়ত দেশৰ গণতন্ত্ৰৰ স্বাৰ্থত 'দৈনিক অসম'ৰ জৰিয়তে দেৱকান্ত বৰুৱাক দিবলগা হোৱা গুৰু দক্ষিণাৰ বাবে হাজৰিকাৰ অন্তৰে কন্দা বুলি দুখ প্ৰকাশ কৰিছিল।

১৯৪৮ চনত 'দৈনিক অসমীয়া' কাকতখন বন্ধ হয়। এই কাকতখন সম্পর্কত হাজৰিকা ডাঙৰীয়াই কয়, 'কিন্তু পৰৱর্তী জীৱনত সাংবাদিকতাৰ বজাৰত সোমাই দেখিলো যে নিজক সষ্টম কৰিবৰ বাবে ডেধাৰ কথা শিকিবলগীয়া আছে, সেই কাৰণেই অপৰিসীম কষ্ট কৰিব লগা হ'ল।

১৯৮৭ চনত অসম চৰকাৰে তেওঁক সাহিত্যিক পেন্সন প্ৰদান কৰে। ১৯৮৬ চনত শিল্পী কমলনাৰায়ণ চৌধুৰী স্মৃতিত ব্ৰহিলচ ট্ৰেভেলছৰ ফালৰপৰা তেওঁক কমল নাৰায়ণ চৌধুৰী সোঁৱৰণী বঁটাৰে সম্মানিত কৰা হয়। ইণ্ডিয়ান এক্সপ্ৰেছ গোষ্ঠীয়ে তেওঁক নিভীক নিৰপেক্ষ সংবাদ সেৱাৰ বাবে আগবঢ়ায় বি ডি গোৱেংকা বঁটা। সাংবাদিকতাৰ বাবে ১৯৮৭ চনত দিল্লীৰ দুর্গা দাস দেৱী ন্যাসে আগবঢ়ায় সর্বভাৰতীয় ভিত্তিত দুর্গাৰতন বঁটা। ১৯৮৭ চনৰ ১৫ আগষ্টৰ দিনা অসম চৰকাৰে তেওঁক ১৯৮৯ চনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ বঁটা ঘোষণা কৰে। সেইবঁটা তেওঁ ১৯৮৮ চনৰ ১ ফেব্ৰুৱাৰীৰ দিনা সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি ৰামস্বামী ভেংকটৰমনৰ হাতৰ পৰা গ্ৰহণ কৰে। ১৯৯৬ চনৰ ২৮ জানুৱাৰীত অসমৰ ৰাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতিয়ে তেওঁক জ্যেষ্ঠ সাংবাদিকৰূপে সম্বর্ধনা জনায়। অনুবাদ সাহিত্যিৰ বাবে তেওঁ ১৯৯৭ চনৰ সাহিত্য অকাডেমি বঁটা লাভ কৰে।

কীৰ্তিনাথ হাজৰিকা মানুহজন সম্পর্কে পৰিচয় দি তেওঁৰ পত্নীয়ে লিখিছে, 'হাজৰিকাৰ জীৱনটোৱে হৈছে সংগ্ৰামৰ জীৱন। আৰম্ভৰেপৰা শেষলৈকে প্ৰায় সংগ্ৰামেই কৰিলে। জীৱনত বহুত সমস্যাৰ সম্মুখীন হৈছে— আর্থিকভাৱেও মানসিকভাৱেও। কিন্তু ধৈর্য্য আৰু একাগ্ৰতাৰ বাবে তাক মানি ল'ব পৰা গুণ এটা আছে। জুমুৰ দি ধৰা বিপদতো ধৈর্য্য নেহেৰুৱাই তাৰ বিৰুদ্ধে থিয় দিয়া মই দেখিছো। 'নতুন অসমীয়া'ত থাকোতে কামৰপৰা পদচ্যুত হৈছিল— সেয়া আছিল আমাৰ জীৱনৰ এক চৰম দুর্যোগ। অথচ সেই বিপদৰ সময়তো মই তেওঁৰ মনৰ যি দৃঢ়তা দেখিছিলো— সেয়ে মোক সাহস যোগাইছিল। তেতিয়া সংস্থাপনৰ কাৰণে বিভিন্ন ধৰণে লেখা-মেলা কৰি সংগ্ৰাম চলাইছিল। কিন্তু ভাগি পৰা নাছিল। মানুহজন আছিল কর্তব্যৰ প্ৰতি অতি সচেতন। নিজৰ কর্তব্য নিষ্ঠাৰে পালন কৰাটোৱেই আছিল তেওঁ জীৱনৰ ব্ৰত।' এই গৰাকী সাংবাদিক-সাহিত্যিকে জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ ১৯৮৮ চনত হাইলাকান্দিত অনুষ্ঠিত হোৱা অধিবেশনত সভাপতিৰ আসন অলঙ্কিত কৰিছিল। ◆

মহিম বৰা



'কাঠনিবাৰীৰ ঘাট'ৰ স্ৰষ্টা মহিম বৰা সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যিকসকলৰ অন্যতম। মূলতঃ কথাশিল্পীৰূপে পৰিচিত মহিম বৰাৰ জন্ম ১৯২৬ চনত দৰং জিলাৰ সাধাৰণগোপ চাহ বাগিচাত। উক্ত চাহ বাগিচাৰে কৰ্মচাৰী গজেন্দ্রনাথ বৰা তেখেতৰ পিতৃ আৰু মাক আছিল চন্দ্রকান্তি বৰা। হাটৰ এক নং প্রাথমিক বিদালয়ত বিদ্যাৰম্ভ কৰা মহিম বৰাই ১৯৪৪ চনত কলিয়াবৰ হাইস্কুলৰ পৰা প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হয়। ১৯৪৬ চনত নগাঁও মহাবিদ্যালয়ৰ পৰা প্রথম বিভাগত আই. এ. পাছ কৰি ১৯৪৮ চনত কটন মহাবিদ্যালয়ৰপৰা বি. এ. পৰীক্ষা পাছ কৰে। পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্রী গ্রহণ কৰে।

গুৱাহাটী অনাতাঁৰ কেন্দ্রত কর্মময় জীৱনৰ আৰম্ভণি কৰা ৰবাই ক্রমে জগন্নাথ ৰুৱৰা মহাবিদ্যালয়, নগাঁও মহাবিদ্যালয়ত অসমীয়া বিভাগত অধ্যাপনা কৰে। ১৯৮৭ চনত নগাঁও মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্রহণ কৰা মহিম বৰা সাংবাদিকতাৰ সৈতেও জড়িত আছিল। হাইস্কুলীয়া জীৱনতে হাতেলিখা আলোচনী উলিয়াই সাহিত্যৰ পৃথিবীখনত সোমাই 'ডেকা অসম', 'ৰামধেনু', 'আৱাহন', 'জয়ন্তী' আদিৰে সৃষ্টি কর্মৰ প্রসাৰ ঘটায়।

সাম্প্ৰতিক সময়ৰ শক্তিশালী কথা শিল্পী মহিম বৰাৰ 'কাঠনিবাৰীৰ ঘাট', 'বহুভুজী ত্রিভূজ', 'এখন নদীৰ মৃত্যু', 'ৰাতিকুলা ফুল', 'মোৰ প্রিয় গল্প', 'ৰথযাত্রী' আদি উল্লেখনীয় গল্প সংকলন। 'কাঠনিবাৰীৰ ঘাট'ৰ দৰে অতি মর্মস্পর্শী আৰু নিখুঁত গল্প স্রষ্টাজনৰ গল্পত মানুহৰ চৰিত্র আৰু সামাজিক চিত্র সংযত বর্ণনাৰে উজ্জ্বল কৰাৰ প্রয়াস দেখা যায়। তদুপৰি তেখেতৰ গল্পত আছে মানৱতাবোধৰ স্ফুৰণ।

গল্পৰ দৰে উপন্যাস সাহিত্যতো মহিম বৰাৰ দখল সৰ্বজন বিদিত। 'হেৰোৱা দিগন্তৰ মায়া', 'পুতলা ঘৰ', 'এধানী মাহীৰ হাঁহি' উল্লেখনীয় সৃষ্টি। 'সাৱলীল গদ্যৰ 'এধানী মাহীৰ হাঁহি'ৰ বাবে সাহিত্য অকাডেমী বঁটা আৰু 'ৰাতি ফুলা ফুল'ৰ বাবে অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰে। উল্লেখনীয় যে বৰাৰ অন্যতম জনপ্ৰিয় গল্প সংকলন 'কাঠনিবাৰীৰ ঘাট' হিন্দী, বাংলা আৰু মাৰাঠী ভাষালৈকো অনূদিত হৈছে।

নিপুন কথাশিল্পী মহিম বৰা সৌন্দৰ্যবোধেৰে কবি মনৰ অধিকাৰী ব্যক্তি। কবিৰ একমাত্ৰ কাব্যগ্ৰন্থ 'ৰঙাজিয়াঁ'। সংকলনটিত সন্নিবিষ্ট 'মাছ', 'ৰঙাজিয়াঁ' আদি বহু পঠিত কবিতা। সীমিত সংখ্যক হ'লেও বৰাৰ কবিতাৰ শব্দ সৌন্দৰ্য, যথাৰ্থতা, সংযম আৰু ছন্দ নৈপুন্যই পঢ়ুৱৈক তাৎক্ষণিকভাৱে মোহ লগাব পাৰে। ৰোমাণ্টিকতাৰ আৱেগেৰে পৰিবেষ্টিত হ'লেও প্ৰতীকী ব্যঞ্জনাৰে আধুনিকতাক স্পৰ্শ কৰিছে।

গল্প, উপন্যাস বা কবিতাৰ বাদেও মহিম বৰাৰ কাপৰ পৰা নিগৰিছে ভালে সংখ্যক তত্ত্বগধুৰ প্ৰবন্ধ, নাটক আৰু শিশু সাহিত্যও। 'চিন্তা'-বিচিত্ৰা', 'সাহিত্য -বিচিত্ৰা' শীৰ্ষক প্ৰবন্ধ সংকলন দুখনৰ প্ৰবন্ধসমূহ বৰাৰ গৱেষণালব্ধ চিন্তাৰ ফচল। আনহাতে নাট্য-সাহিত্যৰ ভিতৰত 'অসম চকুলো', 'পদুম কুঁৱৰী', 'তিনিৰ তিনি গল' আদি উল্লেখনীয় নাট। শিশু সাহিত্যিক হিচাপেও বহু পৰিচিত মহিম বৰাৰ 'বত্ৰিশ পুতলাৰ সাধু', 'মোমাই পদুলিত বান্ধিলো ঘোঁৰা' আদি উল্লেখনীয়।

সাম্প্ৰতিক সাহিত্যাকাশৰ দিগ্‌গজসকলৰ অন্যতম মহিম বৰা ১৯৮৯ চনৰ ডুমডুমাত অনুষ্ঠিত অসম সাহিত্য সভাৰ পঞ্চ পঞ্চাছতম অধিৱেশনৰ সভাপতি আছিল। ◆

নৱকান্ত বৰুৱা



কুৰি শতিকাৰ শেষাৰ্ধত অসমীয়া আধুনিক কবিতাৰ উন্মেষৰ পাছত বহুলভাৱে আলোচিত কবিগৰাকীয়েই হৈছে নৱকান্ত বৰুৱা। আধুনিক কালৰ অসমীয়া কবিতাৰ পৰিক্ৰমাৰ সৈতে নৱকান্ত বৰুৱাৰ নাম এনেভাৱে সংযুক্ত হৈ আছে যে তেখেতক বাদ দি অসমীয়া কবিতাৰ আলোচনা প্ৰায় অসম্পূৰ্ণ বুলিয়েই ক'ব পাৰি। উল্লেখযোগ্য যে নৱকান্ত বৰুৱাৰ প্ৰাৰম্ভতে আধুনিক অসমীয়া কবিতাৰ পথিকৃৎ ৰূপে কেইবাগৰাকীও কবিয়ে আত্মপ্ৰকাশ কৰিলেও নতুন পথৰ সন্ধান দিয়াৰ লগতে জনপ্ৰিয়তাৰ শীৰ্ষলৈ লৈ যোৱাত তেখেতৰ নাম নিঃসন্দেহেৰে স্মৰণীয়।

১৯২৬ চনত গুৱাহাটীত জন্ম গ্ৰহণ কৰা বৰুৱাৰ পিতৃ-মাতৃ ক্ৰমে নীলকান্ত বৰুৱা, স্বৰ্ণলতা বৰুৱানী। ১৯৪১ চনত নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ১৯৪৩ চনত শান্তি নিকেতনৰ পৰা আই. এ. ১৯৪৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত অনাৰ্ছসহ স্নাতক আৰু ১৯৫৩ চনত আলিগড় মুছলীম বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লয়। ১৯৫৪ চনৰ পৰা অৱসৰ পৰ্যন্ত দীৰ্ঘদিনৰ বাবে কটন কলেজত অধ্যাপনা কৰে।

১৯৫১ চনত প্ৰকাশিত 'হে অৰণ্য হে মহানগৰ' শীৰ্ষক কণমানি কাব্য সংকলনখনেৰে প্ৰায় আলোড়ন সৃষ্টি কৰাৰ পাছত 'যতি আৰু কেইটামান স্কেচ', 'সম্ৰাট', 'ৰাৱণ', 'মোৰ আৰু পৃথিৱীৰ', 'ৰক্তাকৰ', 'ৰাতি জিল্‌মিল তৰা জিল্‌মিল্' আদিৰ পৰা 'দলঙত তামীঘৰা' লৈ কাব্যকলাৰ এক দীৰ্ঘ পৰিক্ৰমা। 'মনত পৰেনে অৰুন্ধতী', 'ইয়াত নদী আছিল', 'পলস', 'বোধিদ্ৰুমৰ খৰি' আদি বৰুৱাৰ বহু চৰ্চিত কবিতা। বৰুৱাৰ কবিতাত আছে আধুনিক নগৰকেন্দ্ৰিক সভ্যতাৰ সৌন্দৰ্যৰ আৰু কদৰ্যতাৰ মিশ্ৰিত অস্থিৰতা, এক নামহীন বিষাদৰ গভীৰ অৰণ্য। তদুপৰি আধুনিক হৈও ৰোমাণ্টিকতাৰে নিবিড় আলিংগনবদ্ধ তেখেতৰ কবিতাত

আছে পৃথিবীৰ প্ৰতি, মানুহৰ জীৱনৰ প্ৰতি গভীৰ মমতাবোধ।

মুখ্যতঃ কবিৰূপে পৰিচিত হ'লেও নৱকান্ত বৰুৱা আছিল এগৰাকী ঔপন্যাসিক, শিশু সাহিত্যিক আৰু গীতিকাৰ। অতীতৰ ৰূপ বৰ্তমানত সন্ধানৰ প্ৰয়াসেৰে সৃষ্ট 'ককাদেউতাৰ হাড়' বহু চৰ্চিত উপন্যাস। তদুপৰি 'কপিলী পৰিয়া সাধু', 'গঙ্গা কুঁৱৰী', 'মানুহ আটাইবোৰ দ্বীপ', আৰু 'অপদাৰ্থ' তেখেতৰ আন চাৰিখন উপন্যাস। ভিন্নসুৰী উপন্যাসকেইখনত বৰ্ণিত হৈছে ঔপন্যাসিক বৰুৱাৰ ইতিহাস চেতনা, বুদ্ধ আৰু বৌদ্ধ দৰ্শন আৰু বৈজ্ঞানিক মানসিকতা।

'এখুদ ককাইদেউ', 'নতুন ককাইদেউ', 'সপোন ককা' আদি বিশেষণেৰে বিভূষিত নৱকান্ত বৰুৱা আচলতে সৰ্বকালৰ উল্লেখযোগ্য শিশু সাহিত্যিকসকলৰ অন্যতম। কবিতা, গীত, গীতিনাট্য, উপন্যাস আৰু সৰু বৰ প্ৰবন্ধৰ উপৰি তেখেতৰ দ্বাৰা সম্পাদিত 'মৰুৱা ফুল' শীৰ্ষক শিশু উপযোগী প্ৰায় দুশ গীত আৰু কবিতাৰ সংকলনটি অসম শিশু সমাজলৈ মহৎ অৱদান। সহজ সৰল ভাব-ভাষা আৰু কথনৰীতিৰে সমৃদ্ধ 'শিয়ালী পালেগৈ বতনপুৰ', 'আখৰৰ জখলা', 'ভত উকাৰে ভূ', 'মই টুনীয়ে টুন টুনালো, 'গোলাপ আৰু বেলিফুল' আদি অসমীয়া শিশু সাহিত্যলৈ অতুলনীয় উপহাৰ।

এগৰাকী মননশীল ব্যক্তি তথা লিবিকেল ট্ৰিটমেণ্টৰ স্ৰষ্টা বৰুৱা এজন অনুবাদক, সম্পাদক, সমালোচক আৰু নাট্যকাৰ। তেখেতৰ সম্পাদনাতে প্ৰকাশ হৈছিল 'জোনবাই' আৰু 'পোহৰ' নামৰ দুখন শিশু আলোচনী আৰু 'সীৱল্' নামৰ সাহিত্য সংস্কৃতিমূলক আলোচনীখন। দেশী-বিদেশী বিভিন্ন কবিৰ কবিতা অনুবাদক নৱকান্ত বৰুৱাৰ অসমীয়া ছন্দ শিল্প সম্পৰ্কীয় 'অসমীয়া ছন্দ শিল্পৰ ভূমিকা' পুথিখন অন্যতম পাণ্ডিত্যপূৰ্ণ সৃষ্টি।

বিভিন্ন সন্মানেৰে সন্মানিত বৰুৱাদেৱে 'ককাদেউতাৰ হাড়'ৰ বাবে ১৯৭৫ চনত সাহিত্য অকাডেমি বঁটা, ১৯৮০ চনত ছোভিয়েট লেণ্ড বঁটা, ১৯৭৬ চনত পদ্মভূষণ, ১৯৯৩ চনত 'গংগাধৰ বাষ্ট্ৰীয় বঁটা', ১৯৯৬ চনত কবীৰ বঁটাৰে সন্মানিত হয়। এই সমূহৰ বাদেও নৱকান্ত বৰুৱা আছিল 'অসম সাহিত্য সভা'ৰ ৫৬ তম বিশ্বনাথ চাৰিআলি অধিবেশনৰ সভাপতি।

২০০২ চনৰ ১৪ জুলাইত অসমৰ সাহিত্য জগতৰ অন্যতম জ্যোতিষ্ক নৱকান্ত বৰুৱাৰ দেহাবসান ঘটে। ◆

ড° নির্মলপ্রভা বৰদলৈ



এটি অনুপম জীৱনৰ সন্ধানী আৰু এটি অনুপম জীৱনৰ গৰাকী তথা মহৎ ব্যক্তিত্বৰ অধিকাৰী ড° নির্মলপ্রভা বৰদলৈ। প্রসিদ্ধ কবি, গীতিকাৰ, শিক্ষাবিদ, গৱেষিকা, শিশু সাহিত্যিক ড° বৰদলৈ অসমৰ সাহিত্য-সংস্কৃতি ক্ষেত্রৰ অন্যতম তাৰকা। ১৯৩৩ চনৰ ২০জুনত শিৱসাগৰত জন্মগ্রহণ কৰা বৰদলৈৰ পিতৃ ধর্মেশ্বৰ শর্মা বৰদলৈ আৰু মাতৃ মুক্তবালা বৰদলৈ। শৈশৱৰ ওমলা দিনতে, মাত্র এঘাৰ বছৰ বয়সত বিবাহপাশত আবদ্ধ হৈ ১৫ বছৰ বয়সত বিবাহ বিচ্ছেদ ঘটি এক কঠিন বাস্তৱৰ মাজেৰে জীৱনক অনুপম ৰূপত সজোৱাৰ প্রয়াস কৰে। 'নীলা বাইদেউ' ৰূপে পৰিচিতা আৰু 'সৰস্বতী' সম্মানেৰে বিভূষিতা ড° নির্মলপ্রভা বৰদলৈৰ বাণীৰ চর্চাই আছিল জীৱনৰ সাধনা।

প্রাথমিক বিদ্যালয়ত ছাত্রবৃত্তি পৰীক্ষাত অসমৰ ভিতৰত প্রথম হৈ বৃত্তি লাভ কৰে। তাৰ পাছত ১৯৪৮ চনত প্রথম বিভাগত প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয়। ১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয় ভিতৰত সর্বোচ্চ নম্বৰ লাভ কৰি স্নাতক আৰু ১৯৫৪-৫৫ চনত এই বিশ্ববিদ্যালয়ৰ পৰাই সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্রী লাভ কৰে। 'দ্য ট্রীটমেণ্ট অব নেচাৰ ইন আছামিজ পয়েট্রী' শীর্ষক বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰা বৰদলৈ আছিল সাহিত্যত ডক্টৰেট পোৱা প্রথমগৰাকী অসমীয়া মহিলা। এগৰাকী কৃতী শিক্ষাবিদৰূপে পৰিচিত ড° বৰদলৈয়ে প্রথমে বি বৰুৱা মহাবিদ্যালয়ত আৰু পাছত ১৯৭৫ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা আৰু বিভাগীয় মুৰব্বী ৰূপেও কার্যনির্বাহ কৰিছিল।


'বন ফৰিঙৰ ৰং' শীর্ষক প্রথম প্রকাশিত কাব্যগ্রন্থৰে সাহিত্যৰ পথাৰত খোজ দিয়া বৰদলৈৰ 'সুদীর্ঘ দিন আৰু ঋতু', 'দিনৰ পাছত দিন', 'জলপদ্ম', 'অমিতাভ শব্দ', 'জীৱন জীৱন ৰৱ অনুপম' আদি বহু চর্চিত গ্রন্থ। তদুপৰি 'অসমৰ লোক সংস্কৃতি',

'দেৱী', 'সূর্য্য', 'শিৱ' আদি উচ্চ পর্যায়ৰ গৱেষণা লব্ধ সৃষ্টি। গীতিকাৰ ৰূপে পৰিচিত ড° ৰৱদলৈৰ 'সাগৰ তীৰত পৰি ৰ'লো আমি, শামুকৰ খোলা হৈ', 'সোণৰ খাৰু নালাগে মোক', 'কাজল, লতা তোমাৰ নাম', ফুলৰ মেলাতে পখীয়ে গীত গায়', 'তোমাৰ কথা যেতিয়া ভাবো' আদি অসংখ্য চিৰযুগমীয়া গীতৰো স্রষ্টা। ইয়াৰ বাদেও ৰৱদলৈ আছিল কুৰি শতিকাৰ এগৰাকী সুদক্ষ শিশু সাহিত্যিক।

বিশিষ্ট সমালোচক ভৱেন বৰুৱাৰ মতে— 'এতিয়ালৈকে ওলোৱা মহিলা সাহিত্যিকসকলৰ ভিতৰত বোধকৰো ৰৱদলৈয়েই সাহিত্যৰ একাধিক ধাৰাক আৰু সংস্কৃতিৰ সৃষ্টিধর্মী, চিন্তাধর্মী আৰু আনুষ্ঠানিক শিক্ষাধর্মী এই একাধিক দিশত সামৰি লোৱা এটা বহল বিধৰ উল্লেখযোগ্য সাংস্কৃতিক ভূমিকা গ্রহণ কৰিছে।'

ড° ৰৱদলৈ ১৯৯১ চনত দুধনৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তপঞ্চাশতম অধিবেশনত সভাপতি আছিল। ◆

লক্ষ্যধৰ চৌধুৰী



একেধাৰে সু-অভিনেতা, নাট্যকাৰ, চলচিত্ৰ, পৰিচালক, ৰাজনীতিবিদ, কবি, জীৱনীকাৰ সাংবাদিক আৰু বাগ্মী পুৰুষৰূপে অসমত জনপ্ৰিয়তা লাভ কৰা বিশিষ্ট শিল্পীগৰাকীয়ে হৈছে লক্ষ্যধৰ চৌধুৰী। তেওঁ কৈছিল 'ৰাজনীতি, নাট্যাভিনয়, চিনেমা আৰু সাহিত্য চৰ্চা এই চাৰিটা কৰ্মক্ষেত্ৰত মই আছো। 'সূত্ৰধাৰ'এ কোৱাৰ দৰে 'বিচৰণ' কৰাই নহয়, এই সকলোতে মই আঠা লগাদি লাগি আছে।'

বুৰঞ্জী প্ৰসিদ্ধ উত্তৰ গুৱাহাটী শিলা সেন্দুৰী ঘোপা মৌজাৰ ৰংমহলত ১৯১৫ চনত লক্ষ্যধৰ চৌধুৰীৰ জন্ম হয়। গুৱাহাটী ক'টৰ চিৰস্তাদাৰ ভূধৰ চৌধুৰী আৰু উমাকান্তি চৌধুৰীৰ পঞ্চম সন্তান লক্ষ্যধৰ চৌধুৰীৰ শিক্ষা জীৱন আৰম্ভ ৰংমহল প্ৰাথমিক বিদ্যালয়ৰপৰা। পিছত ১৯৩৩ চনত কটন কলেজিয়েট স্কুলৰপৰা মেট্ৰিক পৰীক্ষাত পাছ কৰে। ১৯৩৭ চনত তেওঁ কটন কলেজৰপৰা বি এছ চি পাছ কৰে। কংগ্ৰেছৰ চাৰি অনীয়া সদস্য আছিল বাবে তেওঁ কোনো চৰকাৰী চাকৰি নাপালে যদিও শেষত ১৯৩৯ চনৰপৰা ১৯৪২ চনলৈ উত্তৰ গুৱাহাটী আউনীআটী কমলদেৱ হাইস্কুলত শিক্ষকতা কৰে।

সৰুতেই অভিনয়ৰ প্ৰতি আকৰ্ষিত হোৱা চৌধুৰীয়ে ১৯৩২ চনত একলব্য নাটক ৰচনা কৰি তাত অভিনয় কৰিছিল। ১৯৩২ চনৰপৰা ১৯৬০ চনলৈকে 'ঠিকনা'ৰ পৰা 'গাঁও বুঢ়া' বহুতো নাটকত অভিনয় কৰা শিল্পী চৌধুৰীয়ে কৈছিল যে নাটকত তেওঁ যি কোনো চৰিত্ৰ অভিনয় কৰিব পাৰে। নাটকৰ সকলো চৰিত্ৰৰ প্ৰতি তেওঁৰ সমান আকৰ্ষণ। চলচ্চিত্ৰতো তেওঁৰ দক্ষতা লেখত ল'ৰলগীয়া। ভাওনা, যাত্ৰা, মুকলি মঞ্চ আদিত অভিনয় কৰি ভাল পোৱা ব্যক্তিজন কয় যে এনে অভিনয়ত দৰ্শকৰ মুখামুখি হৈ সুবিধা পোৱা যায় আৰু ইয়াৰ আনন্দও সুকীয়া।

চৌধুৰীয়ে অসমীয়া সাহিত্যলৈও বিশিষ্ট অৱদান আগ বঢ়াইছে। প্ৰথমে তেওঁ কবিতা লিখিছিল যদিও পিছত অতুল চন্দ্ৰ হাজৰিকাৰ উপদেশ মতে নাটক ৰচিবলৈ ধৰে। তেওঁ ৰচনা কৰা নাটকৰ ভিতৰত সামাজিক নাটক ১৯৬৫ চনত 'নিমিলা অংক' আৰু ১৯৫২ চনত লিখা 'ৰক্ষকুমাৰ' বিশেষভাৱে সমাদৃত হৈছে। চৌধুৰীৰ ১৯৮৭ চনত 'মানুহ বিচাৰি' শীৰ্ষক এখনি জীৱনী গ্ৰন্থও প্ৰকাশ কৰে। তাৰ পিছত ১৯৮৯ চনত 'মইনামতি' নামৰ কাহিনীমূলক গ্ৰন্থও প্ৰকাশ কৰি উলিয়ায়। 'মানুহ বিচাৰি' গ্ৰন্থৰ বাবে ভাৰতীয় ভাষা পৰিষদে তেওঁক পুৰস্কৃত কৰিছে। গ্ৰন্থখনৰ সম্পৰ্কে ড° হীৰেন গোহাঁইয়ে লিখিছে আন বহু পাঠকৰ দৰে মইও অনুভৱ কৰিছো, এই কিতাপখন সাহিত্যৰ এক অনুপম কীৰ্তি, সহজ-সৰল ভাষা আৰু কথন ভংগীৰে তেখেতে আমাৰ ওচৰলৈ লৈ আহিছে অনাদৰ অৱহেলাত মলিন সোণৰ দৰে আমাৰ সাধাৰণ মানুহৰ মহত্ত্ব।'

ৰাজনৈতিক ক্ষেত্ৰতো চৌধুৰী উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় ভূমিকা লৈছিল। ডাঙৰীয়াই ১৯৪৭ চনৰপৰা ১৯৫৭ চনলৈ ছচিয়েলিষ্টসকলৰ মুখপত্ৰ সাপ্তাহিক 'জনতা'ৰ সম্পাদকৰ দায়িত্ব বহন কৰিছিল। চৌধুৰীয়ে ১৯৫২ চনত গুৱাহাটী সমষ্টিৰপৰা লোক সভা আৰু ১৯৫৭ চনত কমলপুৰ বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচন খেলি পৰাজয় বৰণ কৰে। ১৯৬৪ চনত গুৱাহাটী পৌৰ সভাৰ প্ৰথমগৰাকী অকংগ্ৰেছি সভাপতি নিৰ্বাচিত হয়। ১৯৬৭ চনত কমলপুৰ বিধান সভা সমষ্টিৰপৰা বিধায়ক নিৰ্বাচিত হয়। ১৯৭৫ চনত তেখেতে গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ নিৰ্বাচিত হৈছিল। ১৯৭৮ চনত জনতা দলৰ প্ৰাৰ্থীৰূপে জালুকবাৰী সমষ্টিৰপৰা অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। সেই মন্ত্ৰী সভাত তেওঁ শিক্ষা মন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰি এই দায়িত্বত ১৯৭৯ চনলৈ থাকে। লক্ষ্যধৰ চৌধুৰীয়ে কৈছিল— সাহিত্যত ৰাজনীতিৰ থল নাই। কিন্তু ৰাজনীতিত সাহিত্যৰ থল আছে।'

সুবক্তা চৌধুৰীৰ বক্তৃতা শুনিবলৈ গাঁও-ভূইঁৰ মানুহ হিল দ'ল ভাঙি আহে। তেওঁৰ জনপ্ৰিয়তাৰ সম্পৰ্কত নিজেই বগৰ কৰি কৈছে— 'মোৰ সৰু ল'ৰাটোৱে কি কয় জানে? মোক বোলে সকলোৱে নিষ্কৰ্মা বুলি জানে। আন একো নাই বুলি সভা সমিতিলৈ মাতে, 'বৰ্তমান সমাজত বিনষ্ট হোৱা একতা, সংহতি, সাম্প্ৰদায়িক, সম্প্ৰীতি তথা ক্ৰমে বাঢ়ি যোৱা ৰাজনৈতিক ক্ষমতা লোভ আদিৰ সম্পৰ্কত তেওঁ চোকা সমালোচনা কৰিছে। সমাজত সংকীৰ্ণতা দূৰীকৰণৰ বাবে তেওঁ তীব্ৰ ব্যংগ কৰিছে এনেদৰে— 'জীৱনত মোৰ এটাই আকাংক্ষা আছে। বান্দৰকেইটিৰে ব্ৰহ্মপুত্ৰৰ মাজত থকা উমানন্দদখন কেতিয়াবা যদি ৰাজ্য হয়, তাৰ যেন ৰাজ্যপাল পদটো মোৰ বাবে সংৰক্ষিত হয়।'

১৯৯২ চনত গোৱেশ্বৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অষ্ট পঞ্চাশতম অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা ৰাইজক উদ্দেশ্যি দিয়া বাণীত তেওঁ কৈছিল— 'সমূহ দিশত এক সম্পূৰ্ণ বিপ্লৱ লাগে। ধ্বংসৰ কাৰণে এই বিপ্লৱ নহয়, ই সৃষ্টিৰ কাৰণে কৰা বিপ্লৱ। এই বিপ্লৱ হ'ব লাগিব সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত। সাহিত্যৰ সংজ্ঞা বহুজনে বহু ধৰণে দি গৈছে। সাহিত্য সভাৰ এগৰাকী সভাপতি আমাৰ নিজৰ শিক্ষাগুৰু ড° সূর্য কুমাৰ ভূঞাদেৱে কৈছিল— 'সাহেই সাহিত্য। আমি তাক ধুই পখালি ক'ৰ বিচাৰো সঁচা কথা সাহসেৰে সোৱাদ লগাকৈ ক'ৰ পৰাটোৱে সাহিত্য।'

চৌধুৰী বৰ বিনয়ী ব্যক্তি আছিল। নিজৰ নম্ৰতা তেওঁ প্ৰকাশ কৰিছিল এনেদৰে— 'মই এজন চুটি-চাপৰ মানুহ মোৰ উশাহো চুটি আৰু চিন্তাৰ পৰিসৰো চুটি।' এই গৰাকী মহান ব্যক্তিয়ে ২০০০ চনৰ ১৮ আগষ্ট তাৰিখে ইহসংসাৰৰপৰা বিদায় লয়। বহুমুখি প্ৰতিভাৰ আঁকৰ স্বৰূপ এইগৰাকী ব্যক্তিয়ে নিজৰ থলুৱা গীত-মাত চৰ্চা কৰিবলৈ উৎসাহ যোগাই অহা চামলৈ তেওঁ আহ্বান জনাই কৈছে— 'নিজৰ মাটিত খেতি কৰাজনে খেতিয়ক। লোকৰ মাটিত খেতি কৰা জন আধিয়াৰ। মাটি থকা খেতিয়ক আৰু আধি খোৱা সন্মান একে নহয়। তেনেদৰে ক'ব পাৰি, নিজৰ সংস্কৃতি সাধনা কৰাসকল খেতিয়ক শিল্পী আৰু আনৰ সংস্কৃতি সাধনা কৰা সকল আধিয়াৰ শিল্পী।' ◆

ড° ভূপেন হাজৰিকা



অসমৰ সংগীত জগতত জীৱন কালতেই কিম্বদন্তি স্বৰূপ সৰ্বপৰিচিত শিল্পী গৰাকীয়েই হৈছে ড° ভূপেন হাজৰিকা। বহুমুখী প্ৰতিভাৰ গৰাকী ড° হাজৰিকা একাধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, সাহিত্যিক, সাংবাদিক, কলা-সমালোচক, বোলছবি পৰিচালক, কাহিনীকাৰ আৰু এজন ৰাজনীতিবিদ।

লৰালিৰ প্ৰথম গীত পৰিবেশন কৰা মঞ্চতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা আশীৰ্বাদ পুষ্ট আৰু জ্যোতিপ্ৰসাদ বিষ্ণুৰাভাৰ দৰে ব্যক্তিত্বৰ নিকট সান্নিধ্য লাভ কৰা ভূপেন হাজৰিকা আজি আন্তৰ্জাতিক খ্যাতি সম্পন্ন শিল্পী। ১৯২৬ চনত শদিয়াৰ এখন আদিগাঁৱত হাজৰিকাৰ জন্ম। পিতৃ নীলকান্ত হাজৰিকা আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকা। নাজিৰাৰ আমোলাপট্টিত নীলকান্ত হাজৰিকাৰ আচল ঘৰ আছিল যদিও চাকৰি সূত্ৰে অসমৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিব লগা হৈছিল। পৰিয়ালৰ দহোটা সন্তানৰ জ্যেষ্ঠ আছিল ভূপেন হাজৰিকা। উল্লেখযোগ্য যে ভূপেন হাজৰিকাৰ ভাতৃ-ভগ্নী জয়ন্ত হাজৰিকা, সমৰ হাজৰিকা, সুদক্ষিণা শৰ্মাও একোগৰাকী আগশাৰীৰ সংগীত শিল্পী। তেজপুৰত থকা কালছোৱাতে ভূপেন হাজৰিকাই লগ পাইছিল অসমীয়া সংস্কৃতি জগতৰ অন্যতম খনিকৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু নটসূৰ্য্য ফণী শৰ্মাক। এখেতসকলৰ সান্নিধ্যই হাজৰিকাৰো সাংস্কৃতিক জীৱনৰ ৰৱভেটি গঢ়ে।

গুৱাহাটীৰ ভৱলুমুখৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰাৰ পাছত তেজপুৰৰ গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা ১৯৪০ চনত প্ৰৱেশিকা, ১৯৪২ চনত কটন কলেজৰ পৰা ইণ্টাৰমিডিয়েট, ১৯৪৪ চনত বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতক আৰু ১৯৪৫ চনত ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। 'Role of Mass Communication in

India's Adult Education' শীর্ষক বিষয়ত ডক্টৰেট ডিগ্রী লাভ কৰে কলম্বিয়া বিশ্ববিদ্যালয়ৰপৰা।

নিজস্ব কণ্ঠ, কথা, সুৰ তথা গায়ন শৈলীৰে দেশে বিদেশে গীত পৰিবেশন কৰি ড° হাজৰিকাই হাজাৰ হাজাৰ জনতাক আপ্লুত কৰিছে। তেখেতৰ গীতত আছে সময় আৰু সমাজৰ কথা, তেখেতৰ গীতত আছে সম্প্রীতি আৰু সমন্বয়ৰ কথা আৰু আছে দেশ আৰু জাতিৰ কাহিনী— লোক জীৱনৰ প্রতিচ্ছবি। দুৰন্ত শিল্পীজনৰ সৃষ্টিয়ে অসমীয়া আধুনিক সংগীতক এক বিশেষ স্থানলৈ উন্নীত কৰাৰ লগতে গীতসমূহ হৈ পৰিছে এক উচ্চ স্তৰৰ সাহিত্য।


শিল্পীগৰাকীয়ে লোক জীৱনৰ সুৰ বিচাৰি, মানুহে মানুহৰ বাবে অলপ আস্থা বিচাৰি পাহাৰ-ভৈয়াম একাকাৰ কৰি সাত-সাগৰ তেৰনদী পাৰ হৈ সমন্বয়ৰ বান্ধোনেৰে বান্ধিবলৈ প্রয়াস কৰিছে।

মূলতঃ সংগীত শিল্পী হ'লেও ড° হাজৰিকা এগৰাকী আগশাৰীৰ সাহিত্যিক আৰু সাংবাদিক। এখেতৰ সম্পাদনাতে প্রকাশ পাইছিল 'গতি', 'বিন্দু', 'আমাৰ প্রতিনিধি' আদিৰ দৰে কেইবাখনো আলোচনী। বিশ্বৰ দিহিঙে দিপাঙে গীত গাই ঘুৰি ফুৰা শিল্পী হাজৰিকাই সৃষ্টি কৰিছে 'গীতাৱলী', 'কৃষ্টিৰ পথাৰে পথাৰে', 'মই এটি যাযাবৰ', 'দিহিঙে দিপাঙে', 'জ্যোতি ককাইদেউ', 'বিষ্ণু ককাইদেউ' আদি অনন্য গ্রন্থ সম্ভাৰ। এই গ্রন্থসমূহৰ মাজত আছে শব্দৰ সাংগীতিক ব্যৱহাৰ, জনতাৰ প্রতি ভালপোৱা, নান্দনিক দৃষ্টিভংগী আৰু জীৱন জিজ্ঞাসা। ভূপেন হাজৰিকা এগৰাকী শিশু সাহিত্যিকো। গীত-মাতৰ লগতে 'ভূপেন মামাৰ গীতে মাতে অ-আ-ক-খ' অন্যতম শিশু সাহিত্য।

শৈশৱতে জ্যোতিপ্রসাদৰ 'ইন্দ্রমালতী' বোলছবিত শিশু চৰিত্রত অভিনয় কৰাৰ যোগেদি অভিনয় আৰু চলচ্চিত্র মাধ্যমত প্রৱেশ কৰে। পৰৱর্তীকালত তেখেতৰ পৰিচালনাত নির্মাণ হয় 'এৰা বাটৰ সুৰ', 'মাহুত বন্ধুৰে', 'শকুন্তলা', 'প্রতিধ্বনি', 'ভাগ্য', 'লটিঘটি' আদি কৰি ভালে কেইখন অসমীয়া কথাছবি। তদুপৰি 'পিয়লি ফুকন', 'মণিৰাম দেৱান', 'খোজ', 'চামেলি মেমচাৰ', 'অপৰূপা', 'প্রতিধ্বনি', 'অকণ' আদি অনেক ছবিৰ সংগীত পৰিচালনা কৰে। অসমীয়াৰ বাদেও হিন্দী আৰু বঙালী ভাষাৰ ছবিতো তেখেতে সংগীত আৰু পৰিচালনাৰ কাম কৰে। 'প্রতিধ্বনি' ছবিখন ৰাষ্ট্রপতিৰ পদকেৰে সম্মানিত হোৱাৰ বাদেও 'লটি ঘটি', 'শকুন্তলা' আদিৰ বাবে ৰাষ্ট্রীয় প্রেক্ষাপটত সম্মানিত হৈছে। 'চামেলি মেমচাৰ', বোলছবিত কথা সংগীত পৰিচালনাৰ বাবে ১৯৭৬ চনৰ ৰাষ্ট্রীয় চলচ্চিত্র প্রতিযোগিতাত শ্রেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰে। শেহতীয়াকৈ 'কদালি' আৰু বিশিষ্ট চিত্রশিল্পী এম এফ হুছেইনৰ 'গজগামিনী' ছবিত কৰা সংগীত পৰিচালনাৰে আন্তঃৰাষ্ট্রীয় পর্যায়ত বাৰকৈয়ে সমাদৃত হৈ পৰে। বিভিন্ন সামাজিক কাম-কাজৰ সৈতে জড়িত থকাৰ পাছত কিছু দিনৰ বাবে ৰাজনীতিৰ পথাৰলৈ অহা ড° হাজৰিকা নাওবৈচা সমষ্টিৰ বিধায়ক ৰূপেও নির্বাচিত হৈছিল।

সাহিত্য আৰু সংস্কৃতি ক্ষেত্রৰ অক্লান্ত কর্মী ড° ভূপেন হাজৰিকা কেৱল অসম ৰাজ্যতে নহয় দেশ-বিদেশত বহলভাবে সমাদৃত আৰু সম্মানিত হৈছে। অসম চৰকাৰৰ সর্বোচ্চ সম্মান 'শংকৰদেৱ বঁটা', 'ভাৰতৰ সাংস্কৃতিক জগতৰ উল্লেখনীয় বঁটা 'সংগীত নাটক অকাডেমি বঁটা' ৰ উপৰি ভাৰতৰ চলচ্চিত্রৰ সর্বোচ্চ সম্মান 'দাদা চাহেব ফাল্কে বঁটা'ৰে (১৯৯২) সম্মানিত হৈছে। ড° হাজৰিকাই ১৯৯৩ চনৰ শিৱসাগৰৰ অসম সাহিত্য সভাৰ ঊনষাঠিতম অধিবেশনৰ সভাপতি পদেৰে অলংকৃত কৰিছিল। বিভিন্ন আন্তর্জাতিকসম্পন্ন আৰু বঁটাপ্রাপ্তক সংগীত নাটক অকাডেমিৰ চেয়াৰপদ লাভ কৰোঁতা ড° হাজৰিকা প্রথমগৰাকী অসমীয়া। ◆

ড° লীলা গগৈ



বুৰঞ্জী সাহিত্যক আধুনিক বিজ্ঞানসম্মত ৰূপত অধ্যয়ন কৰা অসমৰ এগৰাকী বিশিষ্ট বুৰঞ্জীবিদ তথা সাহিত্যিক হ'ল ড° লীলা গগৈ। ১৯৩০ চনৰ ২৫ নৱেম্বৰত শিৱসাগৰত জন্ম গ্ৰহণ কৰা লীলা গগৈৰ পিতৃ ধনীৰাম গগৈ আৰু মাতৃ সৰুমলা গগৈ। জন্মস্থান চেৰেকাপাৰৰ চেৰেকাপাৰ প্ৰাথমিক বিদ্যালয়ৰপৰা প্ৰাথমিক শিক্ষা লাভ কৰাৰ পাছত ১৯৫০ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৮ চনত স্নাতক আৰু ১৯৬২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৮২ চনত 'অসমীয়া বুৰঞ্জী-সাহিত্যৰ সমালোচনাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণাৰে ডক্টৰেট উপাধি লাভ কৰে।

শিৱসাগৰ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে কাৰ্যনিৰ্বাহ আৰম্ভ কৰাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা আৰু জনজাতীয় সংস্কৃতি বিভাগৰ গৱেষক, আকাশবাণী গুৱাহাটী কেন্দ্ৰত 'স্পকেন ৱৰ্ড' প্ৰডিউচাৰ, শিৱসাগৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক পদত কাৰ্যনিৰ্বাহ কৰে। ১৯৬৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা পদত নিযুক্তি হোৱাৰ পাছত উক্ত বিভাগৰ বীডাৰ আৰু ১৯৯০ চনত অধ্যাপক ৰূপে অৱসৰ গ্ৰহণ কৰে। গগৈৰ কৰ্মময় জীৱনৰ এই সময়ছোৱাতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমিতিৰ সচিব, অসম চৰকাৰৰ বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগৰ অবৈতনিক সঞ্চালক আদি গুৰুত্বপূৰ্ণ পদতো সেৱা আগবঢ়ায়।

বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰত জন্মলাভ কৰা গগৈক ল'ৰালিৰে পৰা ইয়াৰ ঐতিহ্যই বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। সেয়ে হয়তো বুৰঞ্জী সাহিত্য আৰু পু�ৰাতত্ত্ব বিষয়ৰ প্ৰতি আগ্ৰহী হৈ পৰে আৰু এইবোৰৰ আধুনিক আৰু বিজ্ঞানসম্মত অধ্যয়নৰ প্ৰতি মন মেলে। লীলা গগৈৰ গৱেষণালব্ধ ফচলৰূপে সৃষ্টি হয় 'বুৰঞ্জীয়ে পৰশা নগৰ',' হেৰুৱা দিনৰ কথা', 'শৰাইঘাটৰ যুদ্ধৰ কথা',

'বেলি মাৰ গ'ল', 'বুৰঞ্জী সাহিত্য', 'The Tai Khamtis North-East India', 'The Buranjis : Historical Literature of Assam', 'The History of the System of Ahom Administration' আদি বুৰঞ্জীমূলক গ্ৰন্থ।


অসমীয়া সংস্কৃতি আৰু লোক সাহিত্য সম্পৰ্কতো গগৈদেৱে যথেষ্ট গৱেষণামূলক কাম কৰিছে। 'অসমৰ সংস্কৃতি' শীৰ্ষক গ্ৰন্থখন অসমীয়া সংস্কৃতিৰ চৰ্চা কৰোঁতাসকলৰ বাবে অন্যতম হাত পুথি স্বৰূপ। অসমৰ গাঁৱে-ভূঞে সিঁচৰতি হৈ থকা লোক-সাহিত্য, মন্ত্ৰ-সাহিত্য, ডাকৰ-বচন, বিয়ানাম, আইনাম, সাঁথৰ, ফকৰা যোজনা আদি লোক সাহিত্য সংগ্ৰহ আৰু আলোচনাৰে সমৃদ্ধ 'অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা' অসমীয়া সাহিত্যলৈ অনবদ্য উপহাৰ।

ঔপন্যাসিক ৰূপতো আত্মপ্ৰকাশ কৰা ড° গগৈৰ 'নীলাখামৰ চিঠি', 'নৈ বৈ যায়' আদি উল্লেখনীয় সৃষ্টি। বিশেষকৈ 'নৈ বৈ যায়' অসমীয়া সংস্কৃতি লোক জীৱনক প্ৰতিনিধিত্ব কৰিব পৰাকৈ এখন অনন্য সুন্দৰ উপন্যাস।

হাস্যৰস যোগানতো পাকৈত গগৈৰ 'কপলিং ছিগা ৰেল', 'বিয়েৰিং চিঠি', 'বৃকোদৰ বৰুৱাৰ বিয়া', 'ঘেৰঘেৰী বাছ' আদি জনপ্ৰিয় আৰু বহুপঠিত ৰম্য ৰচনা। গীত আৰু কবিতাৰ চৰ্চা কৰা ড° গগৈ এগৰাকী শিশু সাহিত্যিকো। সহজ-সৰল ভাষা, আকৰ্ষণীয় বিষয়বস্তুৰে শিশু মনৰ উপযোগীকৈ ৰচিত 'খঁৰা শিয়ালৰ বিয়া', 'জোনবাই এ তৰা এটি দিয়া', 'পোনাকণৰ মৰম', 'সোণতৰা', 'লাচিত বৰফুকন', 'জয়মতী কুঁৱৰী আৰু মূলাগাভৰু' আদি উল্লেখনীয় শিশু সাহিত্য।

অসম সাহিত্য সভাৰ সৈতে দীৰ্ঘদিন জড়িত ড° গগৈ কাৰ্যনিৰ্বাহক সদস্য, প্ৰধান সম্পাদক আৰু উপ-সভাপতিৰূপে নিৰ্বাচিত হৈছিল। এখেত ১৯৯৪ চনৰ মৰিগাঁৱত অনুষ্ঠিত ষষ্ঠিতম অধিৱেশনৰ সভাপতি আছিল। ড° গগৈয়ে ১৯৯৪ চনৰ ২৩ জুলাইত মৃত্যুবৰণ কৰে। ◆

হিতেশ ডেকা



অসমৰ এগৰাকী অন্যতম কথা সাহিত্যিক হিতেশ ডেকা। ১৯২৪ চনৰ ১৮ ফেব্রুৱাৰীত সৰ্থেবাৰীত এখেতৰ জন্ম। সৰুৰেপৰা মেধা ছাত্ৰৰূপে পৰিচিত ডেকাই ১৯৪৮ চনত সৰ্থেবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰপৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ১৯৫২ চনত নলবাৰী মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। আইন আৰু স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰিছিল যদিও সেয়া অসম্পূৰ্ণ হৈ ৰয়।

বিভিন্ন কৰ্মক্ষেত্ৰত কাৰ্যনিৰ্বাহ কৰা ডেকাদেৱে প্ৰথমে হোমিওপ্যাথিক ফাৰ্মাচীত কাম কৰে। তাৰ পাছত কিছুদিন ব্যৱসায় কৰে। পাছত অৱশ্যে ১৯৫৪ চনৰ পৰা শিক্ষকতাৰে জীৱন আৰম্ভ কৰে। প্ৰথমে কানিহা হাইস্কুলত শিক্ষকতা আৰম্ভ কৰাৰ পাছত সৰ্থেবাৰী হাইস্কুল, বনগাঁও হাইস্কুল আৰু অৱশেষত জালুকবাৰী হাইস্কুলৰ পৰা প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰে।

হাইস্কুলীয়া ছাত্ৰ অৱস্থাত সাহিত্যৰ পৃথিৱীত পদাৰ্পণ কৰা ডেকাদেৱে কলেজীয়া জীৱনত অসমৰ এগৰাকী আগশাৰীৰ সাহিত্যিক ত্ৰৈলোক্যনাথ গোস্বামীৰ সান্নিধ্য লাভ কৰি সাহিত্যৰ দিশত আত্মনিয়োগ কৰে।

'আজিৰ মানুহ'ৰ স্ৰষ্টা হিতেশ ডেকাৰ ১৯৪৯ চনত প্ৰকাশিত 'প্ৰায়শ্চিত্ত' প্ৰথম গল্প সংকলন। তদুপৰি 'গৰাখহনীয়া', 'এইখন আমাৰ সমাজ', 'এথুপি গল্প', 'গল্পটো লিখা নহ'ল' আদি উল্লেখনীয় গল্পপুথি।

নাট্যকাৰ ৰূপেও পৰিচিত ডেকাৰ 'অসমীৰ প্ৰাণৰ কথা', 'বিদ্বান', 'শীৰ্ষ সম্মিলন', 'মন্ত্ৰীৰ হুকুম' আদি নাটক।

মূলতঃ ঔপন্যাসিকৰূপে পৰিচিত হিতেশ ডেকাৰ 'আজিৰ মানুহ' অনন্য সৃষ্টি। স্বাধীনতাৰ কালত ৰচনা কৰা উপন্যাসখনত

বৃটিছ শাসিত ভাৰত তথা অসমৰ সমাজ চিত্ৰ অংকিত হৈছে। সহজ-সৰল গদ্য ৰীতিৰে সমৃদ্ধ উপন্যাসখনত সেই সময়ৰ অসমীয়া সমাজখনৰ মানসিকতা, মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য, সামাজিক সমস্যা আদি কৰি আটাইবোৰ দিশকে আলোকিত কৰিছে। তিনিটা খণ্ডৰ 'এয়েতো জীৱন' ডেকাদেৱৰ আন এটি উল্লেখনীয় কৃতি। এইখনতো গ্ৰাম্য-জীৱনৰ অনুপম চিত্ৰ এখন অংকন কৰিছে। প্ৰেম-প্ৰীতি, বিশ্বাস, ভালপোৱাৰ লগে লগে সংঘাতময় মানৱজীৱনৰ ছবি এখন আঁকিছে। এই দুয়োখনৰ উপৰিও 'ভাৰাঘৰ', 'আচল মানুহ', 'বৈৰী মানুহ', 'মাটি কাৰ', 'নতুন পৃথিৱী', 'ত্যাগ' আদি বহুপঠিত তথা জনপ্ৰিয় উপন্যাস।

সমাজৰ সৰু-বৰ বিভিন্ন ঘটনাৰ অৱলম্বনত ৰচনা কৰা কাহিনীসমূহৰ মাজত সমাজৰ বিশ্লেষণ কৰিব বিচৰা নাই। আচলত সমাজ জীৱনৰ অন্তৰালত আত্মগোপন কৰি থকা বিভিন্ন সমস্যাৰ স্বৰূপবোৰহে ফহিয়াই দেখুওৱাৰৰ যত্ন কৰিছে।

ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰি কাৰাবাস খটা ডেকাদেৱে বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। অসম সাহিত্য সভাৰ সৈতে অতি ঘনিষ্ঠভাৱে জড়িত ডেকা ১৯৭৬ আৰু ১৯৮০ চনত ইয়াৰ উপ-সভাপতি আৰু ১৯৯৫ চনত সৰ্থেবাৰীত অনুষ্ঠিত ৬১ তম অধিবেশনৰ সভাপতি আছিল।

২০০০ চনৰ ৩০ আগষ্টত হিতেশ ডেকাৰ মৃত্যু হয়। ◆

লক্ষ্মীনন্দন বৰা



লক্ষ্মীনন্দন বৰাৰ জন্ম হয় ১৯৩২ চনত, নগাঁও জিলাৰ হাতীচোং কুজীদাহ গাঁৱত। তেওঁৰ পিতাকৰ নাম ফেটুৰাম বৰা আৰু মাকৰ নাম ফুলেশ্বৰী বৰা আছিল। ১৯৪৮ চনত তেওঁ নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলৰপৰা পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজৰ আই এছ চি ত ভৰ্তি হয়। ১৯৫২ চনত তেওঁ পদাৰ্থ বিজ্ঞানত অনাৰ্ছসহ কটন কলেজৰপৰা বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা পদাৰ্থ বিজ্ঞানত এম এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়।

১৯৫৫ চনত তেওঁ শ্বিলঙৰ ছেইণ্ট এন্থনী কলেজত পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তাৰূপে কৰ্মজীৱনৰ পাতনি মেলে। তাৰ পিছত ক্ৰমে যোৰহাট জে বি কলেজ, নগাঁও কলেজ, কটন কলেজ, ধুবুৰীৰ বি এন কলেজত অধ্যাপনা কৰে। ১৯৫৮ চনত তেওঁ যোৰহাট কৃষি কলেজত শিক্ষকৰূপে যোগদান কৰে। ১৯৬০ চনত ডাঃ মহানন্দ বৰুৱাৰ প্ৰথমা কন্যা মাধুৰী বৰুৱাৰ সৈতে তেওঁ বিবাহ পাশত আবদ্ধ হয়। ১৯৬৯ চনত তেওঁ অসম কৃষি কলেজৰ অধ্যাপক নিযুক্ত হয়। ১৯৭৭ চনত অন্ধ্ৰ বিশ্ববিদ্যালয়ৰপৰা 'The water balance and draught climatology of Assam and Vicinity'ৰ গৱেষণাৰ বাবে পি এইছ ডি উপাধি লাভ কৰে। ১৯৭৯ চনৰপৰা তেওঁ কলিকতাৰপৰা প্ৰকাশিত 'দি ইকনমিক্স টাইম' কাকতৰ যোৰহাটৰ সংবাদদাতা নিযুক্ত হয়। তেওঁ ১৯৮৭-৮৮ চনৰ কাৰ্যকালৰ বাবে অসম সাহিত্য সভা আৰু অসম বিজ্ঞান সমিতিৰ উপ-সভাপতি নিৰ্বাচিত হৈছিল। ১৯৮৮ চনত তেওঁ অসম পৰিৱেশ সংৰক্ষণ সমিতিৰো উপ-সভাপতি নিৰ্বাচিত হৈছিল। ১৯৮৯ চনত তেওঁ ইণ্ডিয়ান

নেচনেল ছায়েন্স অকাডেমিৰ এক চেইঞ্জ প্ৰগ্ৰেমৰ অধীনত বতৰ-বিজ্ঞান বিষয়াৰ ভিজিটিং প্ৰফেছৰৰূপে জাৰ্মানলৈ যায়। ১৯৯১ চনত তেওঁ আমেৰিকাবাসী অসমীয়াসকলৰ আমন্ত্ৰণক্ৰমে আমেৰিকা আৰু কানাডা ভ্ৰমণ কৰে। ১৯৯২-৯৫ চনত তেওঁ সাপ্তাহিক 'ৰংপুৰ' কাকতৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৯২ চনত তেওঁ কৃষি বিশ্ববিদ্যালয়পৰা অৱসৰ গ্ৰহণ কৰে আৰু দ্বিতীয়বাৰৰ বাবে জাৰ্মান ভ্ৰমণ কৰে। ১৯৯৫ চনত তেওঁ অসম সেউজ সমিতিৰ সভাপতি নিৰ্বাচিত হয়। এই চনতে তেওঁ যাকেৰি নাহিকে উপাম উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী-বঁটা লাভ কৰে।

লক্ষ্মীনন্দন ৰৰাই ১৯৮৮ চনত 'পাতাল ভৈৰৱী' (১৯৮৬) উপন্যাসখনৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছে। এই উপন্যাসখন তেওঁৰ ব্যতিক্ৰমধৰ্মী সৃষ্টি। ডিব্ৰুগড়ৰপৰা ডিগবৈলৈ আৰু উত্তৰে লক্ষীমপুৰ জিলালৈকে এই বিস্তীৰ্ণ এলেকাটোৰ নানা জাতি, অনা-অসমীয়াৰ ব্যৱসায়-বাণিজ্য আৰু অপৰাধপ্ৰৱণ পাতাল জীৱনৰ ঔপন্যাসিক ৰূপ 'পাতাল ভৈৰৱী'। উপন্যাসখনৰ বিশেষ বৈশিষ্ট্য হ'ল ব্যাপ্তি, বৈচিত্ৰ্য আৰু গতিশীলতা। ব্যৱসায়িক অসাধুতা, চোৰাংবজাৰ, অপৰাধ পাগচেতনাৰে ভীতি সঞ্চাৰিত সমাজখনৰ পৰিচয় দি কৈছে— 'দেশত এতিয়া অন্যায় চলিছে, সমাজ পচি উৰলি গৈছে। এইখন সমাজ সলাব নোৱাৰিলে দেশৰ বেছিভাগ মানুহেই জীৱনটোত একো নেপাই হা ভাত-কানিকৈ মৰিব।'

....'কিন্তু দুৰ্নীতি আৰু সহজে সোনকালে আঢ্যবন্ত হ'বলৈ বেঙা মেলা ঠিকাদাৰ-ইঞ্জিনীয়াৰৰ যুগত ভালকৈ মথাউৰি বনোৱাটো তেওঁলোকৰ কৰ্তব্যৰ ভিতৰত নপৰে। গতিকে দৰছৰৰ পিছত মথাউৰি দুটা ছিগিল। কাঙ্কুলিজনীয়াই জীয়াতু ভুগিলে। অঞ্চলটো ইমান অৱহেলিত যে সঠিক সময়ত ৰাইজে কৰ্তৃপক্ষক সোঁৱৰাই দিয়া সত্ত্বেও আঠ-ন বছৰ ধৰি ছিগা অৱস্থাত থকা মথাউৰিত মাটি নপৰিল।'

'ৰামধেনু' যুগৰ গল্পকাৰ লক্ষ্মীনন্দন ৰৰাই উপন্যাসতো সমানে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। অৱশ্যে তেওঁ ষাঠিৰ দশকতহে উপন্যাস ৰচনাত হাত দিয়ে। তেওঁৰ উপন্যাসত গাঁৱৰ পটভূমিয়ে বিশেষ প্ৰাধান্য লাভ কৰিছে। নাগৰিক সভ্যতাই গাঁৱৰ জীৱনত কেনে কু-প্ৰভাৱ পেলাইছে তাৰো ছবি তেওঁ আঁকিছে। সমাজ জীৱৰ আশা-আকাংক্ষা, আবেগ-অনুভূতি, প্ৰেম-প্ৰীতি, বৰ্ণ-বৈষম্য, আৰ্থিক সংকটৰ দুৰ্দশা, দাৰিদ্ৰতা, নিপীড়ন, ঠগ-ভণ্ডামি আদি বিবিধ সমস্যা তেওঁ উপন্যাসত উপস্থাপন কৰিব বিচাৰিছে। তেওঁৰ প্ৰখ্যাত উপন্যাস 'গঙা চিলনীৰ পখি'ত (১৯৬৫) গাঁৱৰ জীৱনৰ ছবিকে বিশেষভাৱে গুৰুত্ব দিছে। ভাব, ভাষা, গাঁথনি, চৰিত্ৰ চিত্ৰণ, প্ৰকাশভংগী আদি নানা দিশৰপৰা ৰৰাৰ এইখন উপন্যাসত অতি উচ্চমানৰ বুলি ক'ব লাগিব।

'উত্তৰ পুৰুষ'ত (১৯৭০) সন্ত্ৰাস্ত পৰিয়ালৰ এজন শিক্ষিত নিবনুৱা যুবকে কোনো কৰ্ম সংস্থানৰ পথ বিচাৰি উলিয়াব নোৱাৰি কেনেকৈ অসামাজিক কামত ব্ৰতী হৈছে তাৰ চিত্ৰ অংকিত কৰা হৈছে।

ৰৰাৰ অন্যান্য উপন্যাস হ'ল : নিশাৰ পৃথৱী (১৯৬২), ছাঁ জুইৰ পোহৰত (১৯৬৬), শিখাৰ সুৰভি (১৯৬৮), মেঘালী দুপৰ (১৯৬৮), বলুকাত বিজুলী (১৯৬৯), আকাশ চমকি ৰয় (১৯৬৯), মাটিৰ মেঘৰ ছাঁ (১৯৭০), দহন দুলড়ী (১৯৭১), পতন (১৯৭৯), আকৌ শৰাইঘাট (১৯৮০), ৰাধিকাপুৰ (১৯৮২), মালশ্ৰী নিকেতন (১৯৮২), ঘাতক পলাতক (১৯৮৫), প্ৰতিৰোধ (১৯৮৭), বিপন্ন বিস্ময় (১৯৮৮), গণেশগুৰি (১৯৮৮), কাল ডিঙৰাৰে পাল (১৯৮৮), চিয়াহ ডিৰেৰিৰায় (১৯৮৮), যাকেৰি নাহিকে উপাম (১৯৯৩), মদাৰ গছৰ পাণ (১৯৯৫), মৎস্য-কন্যা (১৯৯৬) আদি।

'ৰামধেনু' যুগৰ সবল আৰু প্ৰতিষ্ঠিত গল্প লেখকসকলৰ ভিতৰত লক্ষ্মীনন্দন ৰৰাও এজন। ৰৰাৰ চুটি গল্প ৰচনাৰ এক সুকীয়া ৰীতি আছে। তেওঁ এজন সমাজ সচেতনশীল লেখক। গাঁৱৰ জীৱনৰ উপৰি কিছুমান ব্যক্তি জীৱনৰ আশা-আকাংক্ষা, স্বভাব-চৰিত্ৰ, শোষণ-উৎপীড়ন, ভণ্ডামি, অজ্ঞতা আদি বিবিধ সমস্যাবোৰ তেওঁ পোহৰলৈ আনিবলৈ সক্ষম হৈছে। তেওঁ 'শুক পৰ' গল্পত গাঁৱৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোনৰ সঁচা চিত্ৰ প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে। এসময়ৰ সম্ভ্ৰান্ত পৰিয়ালৰ মুকুন্দ গোসাঁইৰ জীৱনলৈ নামি অহা দুৰ্দশাৰ ছবিয়ে 'শুকপৰ'ৰ মূল-বিষয়-বস্তু।


'সখা দামোদৰ' গল্পটোৰ জৰিয়তে তেওঁ কৃষকৰ মাটি আৰু গৰুৰ প্ৰতি থকা মোহ সুন্দৰভাৱে প্ৰকাশ কৰিব পাৰিছে। ৰৰাৰ গল্পৰ পৰ্যবেক্ষণ ৰীতি, গধুৰভাব, শব্দৰ গাঁথনি, চৰিত্ৰ সৃষ্টি আদিত বিশেষ দক্ষতা আছে। তেওঁৰ গল্প যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত।

ৰৱাৰ প্ৰকাশিত চুটি গল্পৰ গ্ৰন্থসমূহৰ ভিতৰত হ'ল ঃ দৃষ্টিৰূপা (১৯৫৮), সেই সুৰে উতলা (১৯৬০), কাঁচিয়লিৰ কুঁৱলী (১৯৬১), গোপন গধূলি (১৯৬১), মন মাটি মেঘ (১৯৬২), অচিন কইনা (১৯৬৩), এই ৰূপ এই ছন্দ (১৯৬৩), কঠিন মায়া (১৯৬৬), দেৱতাৰ ব্যাধি (১৯৬৬), আৱেশ ইন্দ্ৰজাল (১৯৬৭), মাজত তুষাৰ নৈ (১৯৬৭), ব্যতিক্ৰম (১৯৭৬), নিষিদ্ধ চেতনা (১৯৭৬), সেহি অনুৰাগে (১৯৮০), এৰাবাৰীৰ লেছেৰি (১৯৮৩), দুস্তৰ কাৰাগাৰ (১৯৮৪), প্ৰেয়সী (১৯৯৩) আদি।

ন-শিকাৰুৰ বাবে— গাঁৱৰে সৰগ ৰঁচো (১৯৬০), জনম ৰহস্য আৰু পৰিয়াল আঁচনি (১৯৬৮) আদি। শামুকৰ পেটত মুকুতা (১৯৯০) আৰু মেঘনাদ সাহা (১৯৮৯) তেওঁৰ অনুবাদমূলক গ্ৰন্থ। মই ধনীৰামৰ খেতি (১৯৯০) তেওঁৰ এখন কৃষি বিষয়ক গ্ৰন্থ। পশ্চিমৰ পম খেদি (১৯৯১) তেওঁৰ প্ৰকাশিত ভ্ৰমণ কাহিনী। তেওঁৰ তিনিখন বিজ্ঞান সম্পৰ্কীয় গ্ৰন্থ আৰু দুখন একাংকিকা নাট প্ৰকাশিত হৈছে। তেওঁৰ প্ৰথম প্ৰকাশিত গল্প সংকলন দৃষ্টিৰূপা, প্ৰথম প্ৰকাশিত উপন্যাস নিশাৰ পূ�ৰবী। ন-শিকাৰুৰ বাবে ৰচিত পুথিৰ বাবে তেওঁ ১৯৮৬ চনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পুৰস্কৃত হৈছে। 'ৰামধেনু'ত প্ৰকাশিত তেওঁৰ প্ৰথম গল্পটি আছিল ভাওনা (১৯৫৪)।

১৯৯৬ চনৰ ২২ ফেব্ৰুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ বোকাখাতৰ সমন্বয়ভূমিত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বি-ষষ্টিতম অধিবেশনৰ ৰৱাদেৰে সভাপতিৰ আসন অলঙ্কিত কৰিছিল। ◆

ড° নগেন শইকীয়া



ড° নগেন শইকীয়াৰ জন্ম হয় ১৯৩৯ চনৰ ১১ ফেব্রুৱাৰীত, গোলাঘাট জিলাৰ হাতীয়েখোৱা গাঁৱত। তেওঁৰ পিতাকৰ নাম উমাৰাম শইকীয়া আৰু মাকৰ নাম হেমপ্রভা শইকীয়া। উমাৰাম শইকীয়া এগৰাকী শিক্ষক, খেলুৰে আৰু সাহিত্যসেৱী আছিল। ১৯৪৬ চনত নগেন শইকীয়া ৰৰকাঠনি এল পি স্কুলত ভর্তি হয়। সেই সময়ত তেওঁ বিদ্যালয়ৰ প্রধান শিক্ষকৰূপে পাইছিল দুৰ্গানাথ শর্মাক। ১৯৪৮ চনত শইকীয়াই কাকডোঙা এম ই স্কুলত ভর্তি হয়। তেওঁ হাইস্কুলীয়া শিক্ষা লাভ কৰে ঢেকীয়াল হাইস্কুলৰপৰা। ১৯৫৭ চনত ঢেকীয়াল হাইস্কুলৰপৰা প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হয়। তাৰ পিছত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত ভর্তি হয়। ১৯৬১ চনত গোলাঘাট দেৱৰাজ বৰ মহাবিদ্যালয়ৰপৰা স্নাতক উপাধি লাভ কৰে। ১৯৬৪ চনত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ উপাধি লাভ কৰে। ১৯৮২ চনত তেওঁ 'A Critical Study of the Social and Intellectual Back ground of Modern Assamese Literature 1826-1903' গ্রন্থৰ বাবে ডক্টৰেট ডিগ্রী লাভ কৰে।

ড° নগেন শইকীয়াই আই এ পৰীক্ষা দি উঠিয়ে হাতীয়েখোৱা গাঁৱৰ হাইস্কুলত শিক্ষকতা জীৱন আৰম্ভ কৰে। তাৰ পিছত ১৯৬১ চনত ঢেকীয়াল হাইস্কুলত শিক্ষকতা কৰিবলৈ লয়। ১৯৬৪ চনত তেওঁ চন্দ্রপ্রসাদ শইকীয়া সম্পাদিত 'অসম বাতৰি' কাকতত সহকাৰী সম্পাদকৰূপে কাম কৰে। ১৯৬৫ চনৰপৰা তেওঁ ডিব্রু মহাবিদ্যালয়ত অধ্যাপক নিযুক্ত হয়। ১৯৬৫ চনতে তেওঁ নিউ যোৰহাট মহাবিদ্যালয় আৰু ১৯৬৭ চনত দেৰীচৰণ বৰুৱা মহাবিদ্যালয়ত নিযুক্ত হয়। ১৯৭২ চনত তেওঁ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক নিযুক্ত হয়। ১৯৭৩ চনৰপৰা ডিব্রুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্রস্তুতি প্রকাশন

সমিতিৰ অস্থায়ী সচিবৰূপেও কার্যনির্বাহ কৰে। ১৯৮৩ চনৰপৰা তেওঁ অসমীয়া বিভাগৰ ৰীডাৰ নিযুক্ত হয়। ১৯৮৬ চনত তেওঁ ৰাজনীতিত প্ৰৱেশ কৰে আৰু ৰাজ্যসভালৈ সদস্য মনোনীত হয়।

ড° নগেন শইকীয়াই ১৯৫৪ চনৰপৰা অসম সাহিত্য সভাৰ লগত জড়িত হয়। ১৯৬৬ চনৰপৰ ১৯৭০ চনলৈ তেওঁ অসম সাহিত্য সভাৰ যোৰহাট কার্যালয়ৰ সহকাৰী সম্পাদক আছিল। ১৯৭১ চনত তেওঁ আছিল ভাষাজ্ঞান সংসদৰ সচিব। ড° নগেন শইকীয়া ১৯৭৩-৭৫ আৰু ১৯৮০-৮৩ চনৰ সময়ছোৱাত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক নিযুক্ত হৈছিল। তেওঁ অসম সাহিত্য সভাৰ কোষাধ্যক্ষও নির্বাচিত হৈছিল। ১৯৮৭ চনত তেওঁ অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনত আলোচনা চক্ৰৰ সঞ্চালক আছিল।

ড° নগেন শইকীয়াৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হ'ল ঃ উপন্যাস— ভগা ঘাট (১৯৬৮)। চুটি গল্প— কুবেৰ হাতীবৰুৱা (১৯৬৭), ছবি আৰু ফ্ৰেম (১৯৬৯), বন্ধ কোঠাত ধুমুহা (১৯৭১), অস্তিত্বৰ শিকলি (১৯৭৬), মাটিৰ চাকিৰ জুই (১৯৭৬), অপার্থিৱ-পার্থিৱ (১৯৮২), আন্ধাৰত নিজৰ মুখ (১৯৯১) আদি। ভ্ৰমণ কাহিনী— আমেকিাত দহদিন (১৯৮৮) আৰু মহাচীনৰ দিনলিপি। প্ৰবন্ধ সংকলন— চিন্তা আৰু চর্চা (১৯৭৮), ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা (১৯৯৩), অগ্নিগর্ভা অসম (১৯৮৩), গৱেষণা— পদ্ধতি পৰিচয় (১৯৯৬), অসমীয়া কবিতা আৰু অন্যান্য বিষয় (১৯৯৬) আদি। সম্পাদনামূলক গ্ৰন্থ— গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু', সাহিত্যৰ বাদ-বৈচিত্ৰ' (১৯৮৭), আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ, অধ্যয়ন পৰিচয় (১৯৭৮), অসমৰ লিপি সমস্যা, শ্ৰীশ্ৰী শংকৰদেৱ, আচাম এণ্ড আচামিজ মাইণ্ড, চন্দ্ৰধৰ বৰুৱা ৰচনাৱলী, মহেশ্বৰ নেওগ ৰচনাৱলী (৩ য় খণ্ড), অসমীয়া গল্প কৌমুদী, কবিতা মঞ্জৰী আদি গ্ৰন্থ তেওঁ সম্পাদনা কৰিছে। অনুবাদমূলক 'শান্তিনাথ দেশাইৰ 'মুক্তি' (কানাড়া উপন্যাস) আৰু আনখন হ'ল প্ৰভাকৰ মাছুৰৈৰ 'কেশৱসুত'।

১৯৯৭ চনৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ বিলাসীপাৰা অধিৱেশনৰ ড° নগেন শইকীয়া সভাপতি আছিল। পুনৰবাৰ ১৯৯৮ চনৰ ২৪ মার্চত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ চতুঃষষ্টিতম হাওৰাঘাট (কিৰাত আক্ৰাম) অধিৱেশনৰ তেওঁ সভাপতি আছিল। ◆

চন্দ্রপ্রসাদ শইকীয়া



বাণীৰ সাধনাত আজীৱন ব্ৰতী সাম্প্ৰতিক অসমীয়া সাহিত্যৰ এগৰাকী দিগ্‌গজ চন্দ্রপ্রসাদ শইকীয়া। শিৱসাগৰ জিলাৰ আমগুৰিৰ জালুকগাঁৱত ১৯২৭ চনৰ ৮ জুলাইত শইকীয়াৰ জন্ম। পিতৃ দুৰ্লভ চন্দ্র শইকীয়া। স্থানীয় অঞ্চলত শিক্ষাজীৱন আৰম্ভ কৰি ১৯৫০ চনত কটন কলেজৰ পৰা স্নাতক ডিগ্রী লাভ কৰে। পাছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত স্নাতকোত্তৰ ডিগ্রী লাভ কৰে।

১৯৫৫ চনত 'আছাম ট্রিবিউন' কাকতৰ সম্পাদনা বিভাগত কৰ্ম জীৱন আৰম্ভ কৰাৰ পাছত 'অসম বাতৰি' নামৰ কাকতখনৰ সম্পাদক হয়। পাছত ১৯৬৭ চনত 'অসম প্রকাশন পৰিষদ'ৰ সচিব পদত নিযুক্ত হয়। দীৰ্ঘদিনৰ বাবে উক্ত পদত থাকি পৰিষদৰ তৰফৰ পৰা ভালেসংখ্যক বহুমূলীয়া আৰু দুষ্প্রাপ্য গ্রন্থ প্রকাশ কৰি উলিয়ায়। পৰিষদৰ উদ্যোগত আৰম্ভ হোৱা অসমৰ প্রথম গ্রন্থমেলাৰো তেখেত গুৰি ধৰোঁতা।

'অসমীয়া', 'প্রকাশ', 'মণিদীপ', 'নতুন দৈনিক' কাকত আলোচনীৰ সম্পাদক শইকীয়া সম্প্রতি 'গৰীয়সী' শীৰ্ষক সাহিত্য আলোচনীখনৰ সম্পাদক। অসম প্রকাশন পৰিষদৰ দ্বাৰা প্রকাশিত তথা তেখেতৰ দ্বাৰা সম্পাদিত 'প্রকাশ' আলোচনীখনে 'জোনাকী', 'ৰামধেনু' আদি আলোচনীৰ দৰে এটা যুগ সৃষ্টিকাৰী আলোচনী ৰূপে পৰিচিত হৈ পৰিছিল।


'এদিন' নামৰ উপন্যাসিকাখনেৰে সাহিত্য জীৱন আৰম্ভ কৰা শইকীয়াৰ কাণৰপৰা নিগৰি ওলাইছে অসংখ্য মূল্যবান সৃষ্টি। শৈশৱতে স্বাধীনতা আন্দোলনৰ সৈতে জড়িত হৈ পৰি প্রত্যক্ষ ৰূপত সংগ্রামৰ অভিজ্ঞতাৰে ৰচিত হৈছে 'এদিন' নামৰ

উপন্যাসিকাখন। ইয়াৰ বাদে 'মায়ামৃগ', 'নাচপতি ফুল', 'অংগীকাৰ', 'চক্রবৎ' আদি উল্লেখনীয় গল্প সংকলন। তদুপৰি 'মন্দাক্রান্তা', 'মেঘমল্লাৰ', 'উত্তৰ কাল', 'অগ্নিস্নান', 'প্রতিধ্বনি', 'জন্মান্তৰ', 'তোৰে মোৰে আলোকৰে যাত্রা', 'মহাৰথী' আদি উল্লেখনীয় উপন্যাস। অসমৰ অন্যতম সংস্কৃতিৰ পূজাৰী জ্যোতি প্রসাদ আগৰৱালাৰ জীৱন আৰু কর্মক আলোকিত কৰি ৰচিত 'তোৰে মোৰে আলোকৰে যাত্রা' উপন্যাসখনে জ্যোতি প্রসাদক ন-ৰূপত উদভাষিত কৰি তুলিছে। ১৯৯৫ চনত সাহিত্য অকাডেমি বঁটাৰে সম্মানিত 'মহাৰথী' শইকীয়াৰ সাহিত্য জীৱনৰ অন্যতম কৃতিত্ব। মহাভাৰতৰ এটি বিশাল প্রতিভাসম্পন্ন মহাপ্রাণ চৰিত্র কর্ণ। জন্ম মুহূর্ততে পিতৃ-মাতৃৰ দ্বাৰা নিদাৰুণভাৱে পৰিত্যক্ত হৈয়ো কি নিৰবচ্ছিন্ন সাধনা, অসীম পৰাক্রম, দেৱদুর্লভ উদাৰতা, যুদ্ধ-বিচক্ষণতাৰে তেওঁ মহাভাৰতৰ এক চিৰস্মৰণীয় পর্যায়লৈ নিজৰ উত্তৰণ ঘটাই এক আলোকসন্ধানী বিশ্লেষণৰ প্রচেষ্টাতে ৰচিত হৈছে এই উপন্যাস।

শক্তিশালী শব্দ চয়ন, আকর্ষণীয় উপস্থাপনশৈলীৰে শইকীয়াই ৰচনাৰাজিৰ মাজেৰে মানৱ জীৱনৰ বিভিন্ন সমস্যা, সুখ-দুখ, প্রেম-প্রণয়, আশা-আকাংক্ষাক প্রতিফলিত কৰিব বিচাৰে। শংকৰদেৱৰ দর্শনৰে প্রভাবিত ধ্রুপদী চিন্তা-চর্চাৰে সত্যনিষ্ঠতাক প্রতিষ্ঠা কৰাই শইকীয়াৰ উদ্দেশ্য। সাহিত্যৰ সত্যৰ আশ্রয় লৈ নৈতিক নেতৃত্ব দিয়াত তেখেত আগ্রহী। সমাজৰ নৈতিকতাৰ স্খলন আৰু মূল্যবোধহীনতা ৰোধ কৰিবলৈ স্বদেশ প্রেম আৰু সাহিত্য-সংস্কৃতিৰ পুনৰুত্থান ঘটোৱাত শইকীয়া পক্ষপাতী। 'দৃষ্টিকোণ' শীর্ষক তেখেতৰ নির্বাচিত সম্পাদকীয় সমূহৰ বাদেও বিভিন্ন কাকত, আলোচনীত প্রকাশিত প্রবন্ধসমূহৰ সংকলনো প্রকাশ পাইছে। তদুপৰি কেইবাবাৰো বিদেশ ভ্রমণ কৰা শইকীয়াৰ 'আমেৰিকাৰ চিঠি' আন এটি উল্লেখনীয় সৃষ্টি।

বাণীৰ সাধনাত অহৰহ ব্রতী থকা শইকীয়া বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানৰ পৰা সম্মানিত হৈছে। 'মহাৰথী'ৰ বাবে লাভ কৰা 'সাহিত্য অকাডেমী' বঁটাৰ উপৰি জীৱনজোৰা সাধনাৰ বাবে লাভ কৰিছে 'অসম উপত্যকা' সাহিত্য বঁটা। এই দিগ্‌গজ সাহিত্যৰথীগৰাকী ১৯৯৯ চনৰ অসম সাহিত্য সভাৰ হাজো অধিবেশনৰ সভাপতিৰ পদেৰে অলংকিত হৈছিল। ◆

হোমেন বৰগোহাঞি



সাম্প্রতিক সময়ত নতুন প্রজন্মক বাৰুকৈয়ে প্রভাৱিত কৰা অসমীয়া সাহিত্যিকসকলৰ অন্যতম হ'ল হোমেন বৰগোহাঞি। মূলতঃ সাংবাদিকতাৰে কৰ্মময় জীৱন পাৰ কৰা বৰগোহাঞিয়ে সাবলীল তথা শক্তিশালী গদ্যৰে অসমীয়া সাহিত্যত নতুন স্বাদৰ সৃষ্টি কৰে।

১৯৩২ চনৰ ৭ ডিচেম্বৰত ঢকুৱাখনাত জন্মগ্রহণ কৰা বৰগোহাঞিৰ পিতৃ ইন্দ্রেশ্বৰ বৰগোহাঞি। ১৯৫০ চনত ডিব্রুগড় চৰকাৰী হাইস্কুলৰ পৰা প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হয় আৰু ১৯৫৪ চনত কটন কলেজৰ পৰা ইংৰাজীত অনার্ছসহ স্নাতক ডিগ্রী লাভ কৰে।

কর্ম জীৱনৰ পাতনিতে প্রশাসনীয় সেৱাত এছ. ডি. চি হিচাপে যোগদান কৰে। অৱশ্যে ৰাজনৈতিক ৰংগোন্নক গ্রন্থ ৰচনাৰ বাবে ৰাজ্য চৰকাৰৰ ৰোষত পৰি উক্ত পদৰ পৰা পদত্যাগ কৰিব লগা হ'ল। ইয়াৰ পাছতে 'সাপ্তাহিক নীলাচল' কাকতৰ প্রতিষ্ঠাপক সম্পাদক হিচাপে কাম আৰম্ভ কৰি কৃতিত্ব প্রদর্শন কৰে। প্রায় দহ বছৰ ধৰি এইখনৰ সম্পাদনাৰ পাছত 'নাগৰিক', 'সূত্রধাৰ', 'অসম বাণী', 'আমাৰ অসম', 'আজিৰ দৈনিক বাতৰি' আদি কাকত আলোচনীৰ সম্পাদক ৰূপে কার্যনির্বাহ কৰে। সম্প্রতি বৰগোহাঞি 'সাতসৰী' নামৰ পখেকীয়া সাহিত্য আলোচনীৰ সম্পাদক। ইয়াৰ বাদেও (১৯৮১—৯১) 'আজকাল' নামৰ বাংলা দৈনিক বাতৰি কাকতখনৰ ৰাজনৈতিক সমীক্ষক ৰূপে কার্যনির্বাহ কৰিছিল। এজন সফল সাংবাদিক আৰু সম্পাদক হিচাপে ভালেসংখ্যক নতুন লেখক সৃষ্টি কৰাৰ লগতে সংবাদজগতখনক নতুন ৰূপ দিয়ে।

অসমীয়া সাহিত্যৰ অন্যতম সফল কথাশিল্পী বৰগোহাঞিৰ ১৯৪৫ চনত পঞ্চম শ্ৰেণীৰ ছাত্ৰ হৈ থকা অৱস্থাতে 'বাঁহী'ত প্ৰকাশ পোৱা কবিতাৰেই সাহিত্যৰ প্ৰকৃত জীৱন আৰম্ভ হয়। ১৯৬৩ চনত প্ৰকাশ পোৱা 'সুবালা' তেখেতৰ প্ৰথম উপন্যাস। য'ত বৰ্ণিত হৈছে এগৰাকী গাঁৱলীয়া দুখীয়া ঘৰৰ ছোৱালীৰ অৱস্থাৰ তাড়ণাত পৰি বেশ্যাবৃত্তি গ্ৰহণ কৰি সংগ্ৰামী জীৱন পাৰ কৰোৱাৰ বেদনাদায়ক কাহিনী। ১৯৭৮ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰা 'পিতা পুত্ৰ' বৰগোহাঞিৰ অন্যতম সফল সৃষ্টি। বহুপঠিত এই সামাজিক উপন্যাসখনত যুগ পৰিৱৰ্তন, সমাজ আৰু মানুহৰ জীৱনলৈ অহা উত্থান-পতন, পুৰণি আৰু নতুন প্ৰজন্মৰ সংঘাত আৰু অৱক্ষয়ৰ কাহিনী চিত্ৰিত হৈছে। নতুন নতুন বিষয় অনুসন্ধান আৰু উত্থাপনেৰে কাহিনী কোৱা বৰগোহাঞিৰ 'কুশীলৱ', 'তান্ত্ৰিক', 'তিমিৰ তীৰ্থ', 'হালধীয়া চৰায়ে বাওধান খায়', 'মৎস্যগন্ধা', 'অন্তৰাগ', 'নিসংগতা' আদি উল্লেখযোগ্য উপন্যাস। অস্তিত্ববাদৰ চেতনা প্ৰতিফলিত কৰা উপন্যাস 'তান্ত্ৰিক'ৰ বিপৰীতে মৎস্যগন্ধা'ত উজ্জ্বলি উঠিছে জাতিভেদ প্ৰথাৰ বিৰোধিতা। একেদৰে 'অন্তৰাগ'ত মানৱ জীৱনৰ বৃদ্ধাৱস্থাৰ সমস্যাৰ বিপৰীতে 'হালধীয়া চৰায়ে বাওধান খায়'ত আছে শৈশৱ আৰু কৈশোৰ জীৱনৰ বহুৰঙী স্বপ্ন আৰু উচ্চাকাংক্ষাৰ চিত্ৰ।


উপন্যাসৰ দৰে এগৰাকী সফল গল্পকাৰ বৰগোহাঞিৰ গল্পৰ মাজত আছে সমস্যাবহুল সমাজৰ অনেক চিত্ৰ আৰু সহানুভূতিশীল আলোক সন্ধানী মনৰ বাৰ্তা। 'বিভিন্ন কো�ৱাছ', 'প্ৰেম আৰু মৃত্যুৰ কাৰণে', 'বিভিন্ন নৰক', 'স্বপ্ন-স্মৃতি' বিষাদ', 'গল্প আৰু নক্সা' আদি তেখেতৰ গল্প সংকলন।

'ধুমুহা আৰু ৰামধেনু' শীৰ্ষক আত্ম-জীৱনীৰ বাদেও আত্ম জীৱনীমূলক জীৱনৰ সুখ সন্ধানী এটি সৃষ্টি 'আত্মানুসন্ধান' শীৰ্ষক পুথিখন। এইখনৰ বাদেও জীৱনৰ দিক্‌নিৰ্ণয়কাৰী অভিজ্ঞতাপুষ্ট, আলোকসন্ধানী ৰূপত পাঠকৰ মনত পুলকিত কৰা এলানি ৰচনা সংকলন 'জীৱনৰ সাধনা', 'গদ্যৰ সাধনা', 'প্ৰজ্ঞাৰ সাধনা' আদি।

'অসমীয়া সাহিত্যৰ বুৰঞ্জী' (ষষ্ঠখণ্ড)ৰ সম্পাদনাকে ধৰি 'অসমীয়া চুটি গল্পৰ সংকলন', 'বিংশ শতিকাৰ অসমীয়া সাহিত্য' বৰগোহাঞিৰ সম্পাদিত অন্যতম কৃতিত্ব।

'সাহিত্য একাডেমি বঁটা', 'প্ৰকাশন পৰিষদ বঁটা', 'অসম উপত্যকা বঁটা, আদিৰে সন্মানিত বৰগোহাঞিৰ ভালেকেইখন উপন্যাস ইংৰাজীৰ বাদেও ভাৰতৰ কেইবাটাও ভাষালৈ অনুবাদ হৈছে। বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত হোমেন বৰগোহাঞি ২০০১ চনৰ ডিব্ৰুগড়ত অনুষ্ঠিত অসম সাহিত্য সভাৰ ষট্‌ষষ্টিতম অধিৱেশনৰ সভাপতি আছিল। অসম সাহিত্য সভাৰ সভাপতি হিচাপে 'বিশ্বকোষ' আঁচনি বৰগোহাঞিৰ এক উল্লেখযোগ্য কীৰ্তি। ◆

ড° বীৰেন্দ্ৰনাথ দত্ত



লোক কলাৰ চৰ্চাক এক নতুন মাত্ৰা প্ৰদান কৰা অসমৰ এগৰাকী একনিষ্ঠ লোককলাৰ গৱেষক ড° বীৰেন্দ্ৰনাথ দত্ত। ১৯৩৫ চনৰ ১ মাৰ্চত দত্তদেৱে নগাঁৱত জন্মগ্ৰহণ কৰে। পিতাকৰ চাকৰি সূত্ৰে বিভিন্ন স্থানত শিক্ষা গ্ৰহণ কৰা দত্তই প্ৰাথমিক শিক্ষা লাভ কৰে গুৱাহাটীৰ চেনীকুঠি প্ৰাইমাৰী স্কুলৰপৰা। গোৱালপাৰাৰ পি আৰ চৰকাৰী হাইস্কুলৰ পৰা সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। কটন কলেজৰপৰা আই এছ চি, শিক্ষা ভৱন শান্তি নিকেতনৰ পৰা বি এ আৰু ১৯৫৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

বিভিন্ন স্থানত কৰ্ম জীৱন পাৰ কৰা ড° দত্ত বিঃ বৰুৱা মহাবিদ্যালয়ত প্ৰৱক্তা আৰু পাছত ৰাজনীতি বিভাগৰ মুৰব্বী আছিল। গৌৰীপুৰৰ প্ৰথমেশ বৰুৱা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° দত্ত গোৱালপাৰা কলেজৰো অধ্যক্ষ আছিল। ১৯৭৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ফোকলোৰ ৰিচাৰ্চ' বিভাগৰ ৰিডাৰ, প্ৰফেচাৰ আৰু মুৰব্বী আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু আসনৰ অধ্যাপক পদ অলংকৃত কৰা দত্তই ১৯৯৫ চনত অৱসৰ গ্ৰহণ কৰে। পাছত নৱপ্ৰতিষ্ঠিত তেজপুৰ বিশ্ববিদ্যালয়ত যোগদান কৰি 'Department of Traditional Culture of Art Forms' স্থাপন কৰে। তাতে 'The North Eastern Archival Centre for Traditional Art & Folklore (NEACTAF) ৰ পৰিকল্পনা আৰু প্ৰতিষ্ঠা কৰে।

গোটেই জীৱন লোককলা গৱেষণাত আত্মনিয়োগ কৰা ড° দত্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা 'A Study of the Folk culture of the Goalpara District of Assam' বিষয়ত গৱেষণাৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰে।

১৯৫৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত ফোকলোৰ জনজাতীয় কৃষ্টি সম্পৰ্কীয় অস্থায়ী আঁচনি স্থাপন হোৱাৰ পাছত ১৯৭২ চনত লোক সংস্কৃতিৰ গৱেষণাৰ স্থায়ী বিভাগ সৃষ্টি হয়। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই আৰম্ভ কৰা এই লানি চিন্তাৰ পৰৱৰ্তীকালত ড° প্ৰফুল্ল দত্ত গোস্বামী আৰু ড° বীৰেন্দ্ৰ কুমাৰ দত্তই কাৰ্যভাৰ গ্ৰহণ কৰে। এইটো সন্দেহ নাই যে ড° বৰুৱা আৰু ড° গোস্বামীৰ অদম্য কৰ্মপ্ৰেৰণা আৰু অনুকৰণীয় চেষ্টাৰ ফলশ্ৰুতিত লোক-সংস্কৃতি বিভাগটোৰ পৰিসীমা গৱেষণাতে সীমাবদ্ধ নাথাকি শিক্ষণ পৰ্যন্ত উত্তৰীণ হ'ল। বিভিন্ন কৰ্মশালা আৰু বক্তৃতা অনুষ্ঠানত ভাগলোৱা দত্তই দুবাৰকৈ বিদেশ ভ্ৰমণ কৰিছে। অসমীয়া আৰু ইংৰাজী ভাষাত ডেৰ কুৰিৰো অধিক গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰা দত্তৰ শতাধিক গৱেষণা পত্ৰও প্ৰকাশ পাইছে।

'গোৱালপৰীয়া লোকগীত সংগ্ৰহ', 'অসমীয়া সংগীতৰ ঐতিহ্য', 'A Bibliography of Folklore Material of Assam of Adjoing Areas', 'Folk Toys of Assam', 'Folk paintiaing of Assam' আদি দত্তৰ উল্লেখনীয় সৃষ্টি। শিশু সাহিত্যতো হাত দিয়া দত্তৰ 'অমাতৰ মাত', 'মিঠা-কেঁহা-তিতিকি', 'কুঁহি পাতৰ বাঁহী' অন্যতম উল্লেখনীয় শিশু সাহিত্য। কুঁহি পাতৰ বাঁহী' এখন ভাষা-বিজ্ঞানসম্মত শিশু-উপযোগী গীত-মাতৰ পুথি। চিত্ৰ সম্বলিত পুথিখনত বড়ো, মিচিং, কাৰবি, ৰাভা, ডিমাচা আদি ভাষাৰ গীত-মাতৰ লগত অসমীয়া ৰূপান্তৰ দিয়া হৈছে। ড° দত্তৰ সাহিত্য জীৱনৰ এটি বিশেষ কৰ্ম হ'ল 'বিশ্বকোষ' সম্পাদনা। প্ৰকাশন পৰিষদ পৰা প্ৰকাশিত 'অসমীয়া বিশ্বকোষ' কলা ভাস্কৰ্য খণ্ডৰ যুটীয়া সম্পাদক আছিল। একেদৰে 'শিশু জ্ঞানকোষ'ৰো যুটীয়া সম্পাদক আছিল। তদুপৰি অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া বিশ্বকোষ' (বিশ্ব সাহিত্য আৰু লোক সাহিত্য' পঞ্চম খণ্ডৰ মুখ্য সম্পাদক আছিল ড° দত্ত।

ড° দত্ত এগৰাকী সু পৰিচিত সংগীত শিল্পী। ছাত্ৰ জীৱনৰ পৰাই অধ্যয়নৰ লগতে সংগীত চৰ্চা কৰা দত্তই অনাতাঁৰ আৰু অন্যান্য অনুষ্ঠানত গীত পৰিৱেশন কৰিছে। নৱকান্ত বৰুৱাৰ অসংখ্য গীতত সুৰ আৰু কণ্ঠ দি শ্ৰোতাৰ অতি পৰিচিত হৈ পৰা দত্তৰ নিজস্ব গায়ন ৰীতি আছে।' 'বৰ্ষা তোমাৰ চকুত মেঘৰ অঞ্জন', 'আকাশ আকাশ অকণি আকাশ দিয়া', 'অ' ধুন ধুনীয়া', 'বগলী বগা ফোঁট দি যা' আদি দত্তৰ কণ্ঠৰ সু পৰিচিত গীত

এইগৰাকী নীৰৱ সাধক ১৯৯৩ চনত অসম সাহিত্য সভাৰ লক্ষীমপুৰত অনুষ্ঠিত সপ্তষষ্ঠিতম অধিৱেশনৰ সভাপতি আছিল। ◆

কনকসেন ডেকা



কনকসেন ডেকাৰ জন্ম হয় ১৯৯৩ চনৰ ১৬ জুলাইত নলবাৰী জিলাৰ ধৰ্মপুৰ মৌজাৰ বেলশৰত। তেওঁৰ পিতৃৰ নাম গৌৰীসেন ডেকা আৰু মাতৃৰ নাম তাৰাসেন ডেকা। গৌৰীসেন ডেকাই অসম চৰকাৰৰ বাজহ বিভাগত কিছুকাল চাকৰি কৰিছিল।

গৌৰীসেন ডেকাৰ পুত্ৰ চাৰিজন হ'ল— কনকসেন ডেকা, অতুল সেন ডেকা, নীলমণি সেন ডেকা আৰু প্ৰকাশসেন ডেকা, ছোৱালী দুগৰাকী হ'ল— সৰলা আৰু মনোৰমা ডেকা। কনকসেন ডেকা হ'ল গৌৰীসেন ডেকাৰ জ্যেষ্ঠপুত্ৰ।

১৯৩৯ চনত কনকসেন ডেকাই বেলশৰ ১নং প্ৰাথমিক বিদ্যালয়ত ভৰ্তি হৈ শিক্ষা জীৱন আৰম্ভ কৰে। সেই সময়ত আজিকালিৰ দৰে কম বয়সত বিদ্যালয়লৈ যোৱা নিয়ম নাছিল। পূৰঠ বয়সতহে ছাত্ৰ-ছাত্ৰীক বিদ্যালয়লৈ পঠোৱা হৈছিল। সেই হিচাপে কনকসেন ডেকায়ো বয়সতহে বিদ্যালয়ত ভৰ্তি হৈছিল। প্ৰাথমিক বিদ্যালয়ত তেওঁ শিক্ষকৰূপে পাইছিল ৰবদেউতাক কল্যাণসেন ডেকা আৰু কালিৰাম ডেকাক। শিক্ষকৰূপে দুয়োগৰাকীকে কনকসেন ডেকাই শ্ৰদ্ধা কৰিছিল। তেওঁলোকৰ পাঠদান আৰু শাসনৰ প্ৰতি ডেকাই সদায় মূৰ দোৱাই আহিছে। কনকসেন ডেকা সকলেপৰা পঢ়া-শুনাত ৰৰ চোকা আছিল। সেইবাবে প্ৰধান শিক্ষক কালিৰাম ডেকাই তেওঁৰ ওপৰত বিশেষ তত্ত্বাবধান ৰাখিছিল। কালিৰাম ডেকাই নিজৌ সন্তিয়া একোৰাৰ তেওঁলোকৰ ঘৰলৈ আহি— কনকসেন ডেকাৰ পঢ়া-শুনাৰ খবৰ লৈছিল। এই শিক্ষকজনৰ তত্ত্বাবধানত প্ৰায়ভাগ সময় তেওঁ পঢ়া কোঠাত বহি কটাইছিল। তৰাসেন ডেকাৰো পুত্ৰৰ প্ৰতি বিশেষ আদৰ আৰু যতন আছিল। তেওঁ সকলো পাঠ্যপুথিৰ উপৰি বাহিৰা কিতাপো পঢ়া আৰম্ভ কৰিছিল। পিতৃ চাকৰি সূত্ৰে বাহিৰত আছিল যদিও, পিতাকে প্ৰতিখন চিঠিত লিখা

উপদেশবোৰ তেওঁলোকে মানি চলিছিল।

প্ৰাথমিক বিদ্যালয়ৰ পৰীক্ষাত তেওঁ বৃত্তি লাভ কৰি উত্তীৰ্ণ হয়। সেই সময়ত তেওঁলোকে নলবাৰীলৈ গৈ বৃত্তি পৰীক্ষা দিবলগীয়া হৈছিল। যাতায়াতৰ কোনো সুব্যৱস্থা নথকাত, তেওঁ বেলশৰৰ পৰা নলবাৰীলৈ আহোঁতে গৰুৰ গাড়ীত উঠি আহিছিল।

১৯৪৬ চনত তেওঁ বেলশৰ হাইস্কুলত ভর্তি হয়। চতুর্থমান শ্ৰেণীত পঢ়ি থকা সময়ৰ পৰা তেওঁ ভাৰতৰ স্বাধীনতা আন্দোলন আৰু বিপ্লৱী কমিউনিষ্ট পার্টিৰ সশস্ত্ৰ সংগ্ৰামৰ লগত জড়িত হয়। কাৰণ সেই সময়ত তেওঁলোকৰ ঘৰখন সক্ৰিয় ৰাজনীতিৰ কেন্দ্ৰবিন্দু আছিল। তেওঁলোকৰ ঘৰলৈ অহা বিভিন্ন ব্যক্তিৰ আলোচনা আৰু চিন্তাধাৰাই শিশু কনকসেন ডেকাক বাৰুকৈয়ে আকৰ্ষিত কৰে। এইদৰে ছাত্ৰাবস্থাতেই মাৰ্ক্সবাদী চিন্তাধাৰাত দীক্ষিত হৈ, তেওঁ আৰ চি পি আই দলৰ এজন সক্ৰিয় সমর্থক হৈ পৰে। দলৰ সহযোগী কৰ্মী হিচাপে তেওঁ স্কুলীয়া জীৱনতে সামৰিক অস্ত্ৰ চালনাৰো প্ৰশিক্ষণ লয়। ইয়াৰ বাবে তেওঁ আত্মগোপন কৰিবলগীয়া হয়। দলৰ মানুহক গোপনে কাম-কাজত সহায় কৰাৰ অপৰাধত ১৯৪৯ চন আৰু ১৯৫২ চনত দুবাৰো জেল খাটিবলগীয় হয়। অষ্টমমান শ্ৰেণীত পঢ়ি থাকোঁতে ৰাজনৈতিক হত্যাৰ গোচৰত অভিযুক্ত হৈ এমাহ গুৱাহাটী কাৰাগাৰত আৰু দশমমান শ্ৰেণীত পঢ়ি থাকোঁতে দ্বিতীয়বাৰ পুনৰ এমাহ কাৰাবৰণ খাটিবলগীয়া হয়। ফলস্বৰূপে অধ্যয়নত তেওঁৰ শিথিলতা আহি পৰে। ছাত্ৰ হৈ ৰাজনীতি কৰাটোত তেওঁ পিতাকৰ পৰা সদায় হকা-বাধা পাইছিল।

১৯৫৩ চনত তেওঁ মেট্ৰিক পৰীক্ষা পাছ কৰি নলবাৰী মহাবিদ্যালয়ৰ আই এ শ্ৰেণীত ভর্তি হয়। নলবাৰী মহাবিদ্যালয়ত পঢ়া কালত তেওঁ অধ্যক্ষৰূপে পাইছিল বিশিষ্ট সাহিত্যিক ত্ৰৈলোক্য নাথ গোস্বামীক। নলবাৰী মহাবিদ্যালয়ৰ হোষ্টেলত থকা কালত সাহিত্যিক হিতেশ ডেকাৰ লগত বন্ধুত্ব গঢ়ি উঠিছিল।

১৯৫৫ চনত তেওঁ নলবাৰী মহাবিদ্যালয়ৰপৰা আই এ পৰীক্ষা পাছ কৰি, ছিলঙৰ এছুনী কলেজত বি এ পঢ়াৰ ইচ্ছা কৰিছিল। নাম ভর্তি কৰিবলৈ গৈ মহাবিদ্যালয়খনৰ সেই সময়ৰ বৃটিছ অধীক্ষক গৰাকীৰ লগত ডেকাৰ হাতত থকা পার্ল এছ বাকৰ 'পেভিলিয়ন অৱ বমেন' নামৰ উপন্যাসখনিক লৈ এক বিতর্ক সৃষ্টি হোৱাত, সেই কলেজত পঢ়াৰ তেওঁ আশা এৰে। তেওঁ গুৱাহাটীলৈ গুচি আহি, ১৯৫৫ চনত কটন মহাবিদ্যালয়ত ভর্তি হয়। কটন মহাবিদ্যালয়ত তেখেতে অধ্যক্ষৰূপে পাইছিল ডঁ হৰিশ গোস্বামীক আৰু পাছলৈ উপেন দত্তক। শিক্ষকৰূপে পাইছিল — অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা, গিৰিধৰ শর্মা, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, তাৰিণীকান্ত ভট্টাচার্য, চন্দ্ৰ কলিতা, আশ্ৰফ আলী আদিক।

১৯৫৭ চনত তেওঁ কটন মহাবিদ্যালয়ৰ পৰা বি এ পাছ কৰি ১৯৫৮ চনত এলাহাবাদ বিশ্ববিদ্যালয়ত ৰাজনীতি বিজ্ঞানৰ এম এ শ্ৰেণীত ভর্তি হয় আৰু তাত ৰাজনীতি বিষয়ত অধ্যয়ন কৰিবলৈ ধৰে। কিন্তু তেওঁ বিশেষ কাৰণবশতঃ চূড়ান্ত পৰীক্ষাত নবহাকৈ ঘৰলৈ প্ৰত্যাবর্তন কৰিবলগীয়া হয়। ইয়াৰ পিছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিষয়ত অধ্যয়ন কৰে। ১৯৬১ চনত তেওঁ ৰাজনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

১৯৬৩ চনত তেওঁ ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষকৰূপে কার্যনির্বাহ কৰে। তেওঁ এই সময়ছোৱাত মণ্ডলদৈ চহৰৰ টেঙাবাৰী অঞ্চলত এটি ঘৰ ভাৰা লৈ মণ্ডলদৈৰ পৰা ছিপাঝাৰলৈ অহা-যোৱা কৰি শিক্ষকতা কৰিছিল।

১৯৬৭ চনৰ ১৯ এপ্ৰিলত কনকসেন ডেকাৰ ভানুশ্ৰী সেন ডেকাৰ লগত বিবাহ সম্পন্ন হয়। তেওঁলোকৰ ল'ৰা দুজন আৰু ছোৱালী এজনী। ডাঙৰ ল'ৰা দিগন্ত, সৰু ল'ৰা প্ৰাঞ্জলে কোর্চ সমাপ্ত কৰি শিক্ষকতা কৰি থকা কালতে, কনকসেন ডেকাই বাতৰি কাকত এখন প্ৰকাশ কৰিবলৈ মন মেলে। ১৯৭১ চনৰ এক ফেব্ৰুৱাৰীত কনকসেন ডেকাই নিজৰ সম্পাদনাত মণ্ডলদৈৰ পৰা প্ৰকাশ কৰে পখেকীয়া কাকত 'অগ্ৰদূত'। ১৯৭১ চনৰপৰা ১৯৭৩ চনলৈ এই কাকত মণ্ডলদৈৰ পৰা নিয়মিতভাৱে প্ৰকাশ পায়। মণ্ডলদৈ চহৰৰ লক্ষ্মীনাথ বেজবৰুৱা পথত থকা 'গৌৰী বুক ডেলী' নামৰ দোকানখনে আছিল 'অগ্ৰদূত' কাকতৰ কার্যালয়। এই দোকানখন তেওঁলোকৰ পিতৃৰ নামেৰে ভাড়ৈয়ে আৰম্ভ কৰিছিল। ১৯৭৩ চনৰ পৰা তেওঁ শিক্ষকতাৰ চাকৰি বাদ দি সংবাদ পত্ৰৰ লগতে একনিষ্ঠভাৱে জড়িত হয়।

১৯৭৩ চনৰ ৯ জুলাইত তেওঁলোকে মণ্ডলদৈৰ পৰা অসমৰ কেন্দ্ৰস্থল গুৱাহাটীৰ মালিগাঁৱলৈ গুচি আহে। ১৯৭৪ চনৰ পৰা এই কাকত সাপ্তাহিকৰূপে প্ৰকাশ কৰিবলৈ লয়। মালিগাঁও চিটীবাছ ষ্টেণ্ডৰ ওচৰতে থকা এটা টিনৰ সৰু ঘৰে আছিল

'অগ্রদূত' কার্যালয়। কাকতখন মালিগাঁৱৰ পৰা প্ৰকাশ কৰিবলৈ লোৱাৰ পিছত জনপ্ৰিয়তা বাঢ়ে আৰু অসমীয়া বাইজে গ্ৰহণ কৰে। বাইজৰ উৎসাহ আৰু অনুপ্ৰেৰণাত কনকসেন ডেকাই 'সাপ্তাহিক অগ্রদূত' ১৯৭৫ চনৰপৰা তিনিদিনীয়া ৰূপত প্ৰকাশ কৰিবলৈ ধৰে। কনকসেন ডেকাই নিজে সম্পাদকীয় লিখা, বাতৰি সংগ্ৰহ কৰা, প্ৰবন্ধ গোটোৱা, প্ৰুফ-চোৱা, কাকত বিক্ৰী কৰা আদি কাৰ্য সম্পাদন কৰাৰ উপৰিও কাকতখনৰ আন আন দিশসমূহো চোৱা-চিতা কৰিছিল। এইক্ষেত্ৰতে তেওঁৰ পত্নী ভানুশ্ৰী ডেকাৰ সহায়-সহযোগিতা কনকসেন ডেকাই সদায় স্মৰণ কৰি আহিছে।

১৯৮০ চনৰ ১৫ আগষ্টৰ পৰা তেওঁলোকৰ স্থায়ী কার্যালয় গণেশগুৰিৰ অগ্রদূত ভৱনলৈ স্থানান্তৰ কৰা হয়। ১৯৯৫ চনৰ ছয় অক্টোবৰৰ পৰা 'দৈনিক অগ্রদূত' প্ৰকাশ পায়। এই প্ৰতিষ্ঠানটোৰ পৰা মহিলাৰ আলোচনী 'শ্ৰীময়ী' (১৯৮৭ চনৰ ১ জুলাই), শিশু আলোচনী 'অকণিৰ অগ্রদূত', কৌতুক আলোচনী 'চিচিংফাঁক' আদি প্ৰকাশ হয়। বৰ্তমান 'শ্ৰীময়ী' মাহেকীয়া মহিলা আলোচনীৰূপে প্ৰকাশিত নহৈ দৈনিক অগ্রদূত কাকতৰ দেওবৰীয়া পৰিপূৰিকা হিচাপে প্ৰকাশ হৈ আছে।

এগৰাকী সম্পাদকৰূপে কনকসেন ডেকাই আমাৰ জাতীয় জীৱনলৈ সাৰ্থক বৰঙনি আগবঢ়াইছে। অসমত যি মুহূৰ্তত যিটো সমস্যাৰ উদ্ভৱ হৈছে, প্ৰতিটো সমস্যাতে ডেকাই সজাগ প্ৰহৰী হৈ তেওঁৰ বলিষ্ঠ সম্পাদকীয় সমূহৰ জৰিয়তে শাসনাধিষ্ঠিত চৰকাৰ, বিৰোধী দল, বিষয়া-কৰ্মচাৰী, ৰাজনৈতিক দালাল-ঠিকাদাৰসকলৰ কু-শাসন, ভ্ৰষ্টাচাৰ, দুৰ্নীতি, শোষণ-উৎপীড়ন, ভণ্ডামি, চাতুৰি আদিৰ বিৰুদ্ধে সদায় তীব্ৰ প্ৰতিবাদ জনাই আহিছে।

বিশেষকৈ ১৯৭২-৭৩ চনত গঢ়ি উঠা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম আন্দোলন, ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থা, ১৯৭৭ চনৰ ভাৰতৰ ৰাজনৈতিক দৃশ্যপট, ১৯৭৯ চনৰ পৰা ১৯৮৫ চন পৰ্যন্ত চলা বিদেশী বহিষ্কৰণ আন্দোলন, ১৯৮৩ চনৰ অবৈধ নিৰ্বাচন, অসম চুক্তি ৰূপায়ণ, ১৯৮৫ চনত অসমত আঞ্চলিক দল গঠন আৰু অসম গণ পৰিষদ চৰকাৰৰ কার্যভাৰ গ্ৰহণ, কংগ্ৰেছ দলৰ চৰকাৰৰ পতন, আলফাৰ স্বাধীন অসমৰ দাবী, অসমত বিভিন্ন গোষ্ঠী সংঘৰ্ষ আদি বিভিন্ন জ্বলন্ত সমস্যাসমূহৰ প্ৰতি কনকসেন ডেকাই লোৱা শক্তিশালী ভূমিকা উল্লেখনীয়।

সংবাদ জগতৰ দৰে সাহিত্য জগতলৈও ডেকাই বিশিষ্ট বৰঙনি আগবঢ়াইছে। স্কুলীয়া জীৱনৰ পৰাই তেওঁৰ সাহিত্য জীৱন আৰম্ভ হয়। তেতিয়াৰে পৰা আজি পৰ্যন্ত কনকসেন ডেকাই নিৰবচ্ছিন্নভাবে লেখিয়ে আছে। তেওঁ এই লেখিনিবোৰৰ মাজেৰে এজন চিন্তাশীল আৰু সমাজ সচেতন লেখকৰূপে পৰিচয় দিব পাৰিছে। তেওঁ একেবাহে গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, সাহিত্য-সম্পাদক, সমালোচক আৰু নাট্যকাৰ। তেওঁ ভ্ৰমণমূলক গ্ৰন্থ এখনো ৰচনা কৰিছে।

কনকসেন ডেকাৰ ৰচিত আৰু সম্পাদিত গ্ৰন্থসমূহ হ'ল—

প্ৰবন্ধ সংকলন : নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক, আমাৰ যুব সমাজ বিশ্বজয় কৰিবলৈ ওলাই আহক, অসমৰ গোষ্ঠীদ্বন্দ্ব আৰু সামাজিক বিৱর্তনৰ ধাৰা, মূল্যবোধৰ অৱক্ষয় আৰু সাম্প্ৰতিক সংকট আলফাৰ স্বাধীন অসম। দুশ বছৰীয়া হীনমন্যতাৰ অৱসান হওক, Assam crisis-myths and reality.

উপন্যাস : লুইতক ভেটিৰ কোনে, সূর্য পুবত নুঠে, টেমচ আৰু লুইত, সোণৰ পালেঙে নুশুবাই।

গল্প সংকলন : ৰঙীন পৰ্দা, পাঁচ ছেপ্টেম্বৰৰ ৰাতিপুৱা, স্বপ্ন ভংগ আদি।


নাট্য সংকলন : একাংশ পঞ্চমা।

ভ্ৰমণ কাহিনী : হাড়চনৰ পৰা লোহিত গংগা।

সম্পাদিত গ্ৰন্থ : একবিংশ শতিকাৰ অসম, এশখন মহৎ গ্ৰন্থ, আধুনিক বিশ্বৰ এশগৰাকী মহান ব্যক্তি।

কনকসেন ডেকাক ইতিমধ্যে বিভিন্ন বঁটা আৰু সম্মানেৰে সম্মানিত কৰা হৈছে। তাৰ ভিতৰত— ১৯৯৩ চনৰ ৰাষ্ট্ৰীয় নাগৰিক বঁটা, ১৯৯৬ চনত ড° ৰামমনোহৰ লোহিয়া ৰাষ্ট্ৰীয় বঁটা, সংবাদ সূর্য্য, সংবাদজ্যোতি, সংবাদ মুকুট, সংবাদ-ৰত্ন আদি বঁটাৰেৰে সম্মানিত কৰা হৈছে। ২০০৫ বৰ্ষৰ বাবে ভাৰত চৰকাৰে ডেকালৈ আগবঢ়োৱা 'পদ্মশ্ৰী' বঁটা তেওঁ প্ৰত্যাখান কৰিছে। ২০০৪ চনৰ জুলাইত তেওঁক কেদাৰনাথ গোস্বামী বঁটা প্ৰদান কৰা হৈছে। ২০০৫ চনত তেওঁ সংস্কাৰ ভাৰতী বঁটা লাভ কৰে। ২০০৫—০৭ খ্ৰীঃৰ বাবে ডেকা ডাঙৰীয়াই অসম সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত অধিষ্ঠিত হৈছে। ●

অসম সাহিত্য সভাৰ
সভাপতি সকলৰ ভাষণাৱলী
(১৯৭৩ ৰ পৰা ২০০৫ খ্ৰীষ্টাব্দলৈ)



অসম সাহিত্য সভা

চত্বাৰিংশ সম্মিলন

ৰঙিয়া, ১৯৭৩ খ্ৰীঃ

গিৰিধৰ শৰ্ম্মা

।। হৰিস্তুম ।।
জন্মাদ্যস্য যতোঽন্বয়াদিতৰত –
শ্চার্থেষ্বভিজ্ঞঃ স্বৰাট্
তেনে ব্ৰহ্ম হৃদা য আদি কৰয়ে
মুহ্যন্তি যৎ সূৰয়ঃ।
তেজো বাৰিমৃদাং যথা বিনিময়ো
যত্র ত্রিসর্গোঽমৃষা
ধাম্না স্বেন সদা নিৰস্ত কুহকং
সত্যং পৰং ধীমহি ।।

অভ্যর্থনা সমিতিৰ সভাপতি শ্রদ্ধেয় শৰ্ম্মা ডাঙৰীয়া, পৰম সম্মনিত সভাৰ উদ্বোধক অসমৰ মুখ্যমন্ত্রী সিংহ ডাঙৰীয়া, শ্রদ্ধা ভাজন অসম সাহিত্য সভাৰ উপস্থিত প্রাক্তনসভাপতিসকল, বিশিষ্ট অতিথিবৃন্দ, প্রতিনিধিবর্গ আৰু উপস্থিত সুধী বাইজ! ৰঙিয়া নগৰ আজি আনন্দত উলহ-মালহ। অসম সাহিত্য সভাৰ জৰিয়তে ৰঙিয়া বাইজৰ আহ্বানক্রমে এইবেলি মহাসমাবোহেৰে ৰঙিয়া নগৰত অনুষ্ঠিত হৈছে। ৰঙিয়া বাইজৰ কাৰণে ই অতি গৌৰৱৰ কথা। ইয়াৰ ওচৰৰে বৈদ্যগড় আৰু হৰদত্ত-বীৰদত্তৰ স্মৃতিত নির্ম্মিত আজিৰ এই হৰদত্ত-বীৰদত্ত নগৰে ইয়াৰ প্রাচীন ঐতিহ্যৰ ইঙ্গিত দিছে। জয়-জয়তে সেইসকলৰ স্মৃতিৰ উদ্দেশে আমাৰ শ্রদ্ধা নিবদন কৰিছোঁ আৰু উপস্থিত আপোনাসৰলৈ ভক্তিপূর্ণ প্রণতি যাচিছোঁ। আপোনাসৰৰ আশীর্ব্বাদে আমাক কামত আগবাঢ়িবলৈ শক্তি দিয়ক– এয়ে কামনা।

এই চত্বাৰিংশ অধিবেশনৰ সভাপতিৰূপে অসম সাহিত্য সভাৰ শাখাসভাসমূহে এই অভাজনক কিয় নির্ব্বাচিত কৰিলে ক'ৰ পৰা নাই। অসমীয়া সাহিত্যলৈ মোৰ তেনে বিশেষ অৱদান নাই – মই ডাঙৰ সাহিত্যিক নহওঁ – ডাঙৰ পণ্ডিতো নহওঁ -- মোৰ মাথো এইফেৰা আত্মবিশ্বাস আছে যে মই এজন নিষ্ঠাবান সেৱক। যোৱা চল্লিশটি বছৰেই মই এজন সামান্য শিক্ষক হিচাবে – এজন নগণ্য শিক্ষাসেৱক হিচাবে – এজন সাধাৰণ সমাজসেৱক হিচাবে – যথাশক্তি বাইজৰ সেৱা কৰি আহিছোঁ। মোৰ এই চল্লিশ বছৰীয়া নিষ্ঠাৰ ওপৰত বিশ্বাস কৰিয়েই হয়তো আপোনালোকে মোৰ ওপৰত এই চত্বাৰিংশ অধিবেশনৰ গুৰুভাৰ অর্পণ কৰিলে। নাজনো, আপোনালোকৰ এই আস্থা – এই বিশ্বাসৰ শতাংশও মই পূৰণ কৰিব পাৰো নে নাই। গণদেৱতাৰ আশীর্ব্বাদৰ ওপৰত মোৰ অটল বিশ্বাস, গতিকেই এই গণদেৱতাৰ আশীর্ব্বাদ মূৰত লৈয়েই মই এই গুৰুভাৰ গ্রহণ কৰিছোঁ; আশা বাখিছোঁ গণদেৱতাৰ শক্তিৰে শক্তিমান হৈ তিলার্দ্ধমান হলেও দেশমাতৃকা তথা চিৰ চেনেহী ভাষা জননীৰ সেৱা কৰিবলৈ ভগবন্তই আমাৰ ওপৰত কৃপা বৰিষণ কৰিব। যিসকল সাহিত্যসেৱীৰ একনিষ্ঠ সাধনা আৰু অক্লান্ত পৰিশ্রমৰ ফলত অসমীয়া সাহিত্যই আজি এই ৰূপ পাইছে, সেই সকলোলৈকে প্রথমে মোৰ ভক্তিৰ অর্ঘ্য নিবেদন কৰিছোঁ। বিগত উনচল্লিশটি

অধিবেশনত যি সকল মহান ব্যক্তিয়ে পৌৰোহিত্য কৰি গৈছে, সেইসকলৰ প্ৰতি মোৰ সশ্ৰদ্ধ প্ৰণতি জ্ঞাপন কৰিছোঁ। তেখেতসকলৰ পাণ্ডিত্য, সাধনা, নিৰ্ভীকতা আৰু অসমীয়া ভাষা-সাহিত্যলৈ একনিষ্ঠ সেৱা আৰু অৱদানৰ প্ৰাচুৰ্য্যৰ লগত আমাৰ কোনো তুলনা নাই; কিন্তু আমি যি বুজিছো, বৰ্ত্তমান সময়ত অসম সাহিত্য সভাৰ প্ৰধান কাম হৈছে আমাৰ জনসাধাৰণৰ মাজত সংগঠন আৰু প্ৰচাৰ কাৰ্য্য চলোৱা। এই প্ৰচাৰ আৰু সংগঠনৰ বলেৰেই অসম সাহিত্য সভাক এটি অতি বলিষ্ঠ জাতীয় অনুষ্ঠানত পৰিণত কৰাৰ সময় হৈছে। সেই সংকল্পৰেই আপোনালোকে অৰ্পণ কৰা এই গুৰুভাৰ গ্ৰহণ কৰিবলৈ সাহস পাইছোঁ।

সাহিত্য-সংস্কৃতি জাতীয় জীবনৰ প্ৰতিচ্ছবি। ইয়াৰ যোগেৰেই এটা জাতিৰ সভ্যতাৰ পৰম্পৰা প্ৰকাশ পায়। অসম সাহিত্য সভাক এক বলিষ্ঠ জাতীয় অনুষ্ঠানত পৰিণত কৰিবলৈ হলে অসমৰ জনসাধাৰণৰ মাজত ইয়াৰ গৌৰৱ আৰু প্ৰভাৱৰ কথা বুজাই জনসাধাৰণৰ মনত জাতীয় চৈতন্য জাগৰুক কৰি তুলিব লাগিব। এই জাগৰণ অবিহনে জাতীয় চৈতন্যবোধৰ উদয় হ'ব নোৱাৰে। তাৰ কাৰণে অসম সাহিত্য সভাই এদল নিস্বাৰ্থ, উদাৰ, ত্যাগী আৰু নিষ্ঠাৱান প্ৰচাৰক সৃষ্টি কৰিবই লাগিব। অসমৰ গাঁৱে-ভূঞে সাহিত্য সভাৰ মাহাত্ম্য প্ৰচাৰ কৰি সভ্য ভৰ্ত্তি কৰিব লাগিব আৰু সভা-সমিতি কৰি সাহিত্য সভাৰ প্ৰতি আনুগত্য জন্মাই প্ৰতিজন নাগৰিকৰ মনলৈ জাতীয় চৈতন্য সঞ্চাৰ কৰিব লাগিব। এই প্ৰচাৰক আৰু সংগঠকৰ অভাৱতেই আজি অসমীয়া মানুহৰ মাজত ঐক্যবোধ নোহোৱা হৈ পৰিছে — পৰস্পৰ যোগাযোগৰ অভাৱৰ কাৰণেই নানা ভুল বুজাবুজি হৈছে। ক'ত কি ঘটিছে, ক'ত কি অপপ্ৰচাৰ আৰু ষড়যন্ত্ৰ চলিছে আৰু কেনেকৈ বিভেদৰ সঁচ সিঁচা হৈছে আমি গম নাপাওঁ আৰু ফলত পূৰ্ব্বপ্ৰান্তত অৱস্থিত এই বিশাল অসমৰাজ্য ভাগি টুকুৰা-টুকুৰ হব ধৰিছে। বন্ধুসকল, আপোনালোকে বেচকৈ জানে যে, আমাৰ অযোগ্যতাৰ কাৰণেই, আমাৰ সংগঠন আৰু যোগাযোগৰ অভাৱৰ কাৰণেই, আমাৰ অতি মৰমৰ ঠাইবোৰ আমাৰ পৰা আঁতৰি গৈ নগাৰাজ্য, অৰুণাচল আদি নাম লৈ বেলেগ ৰাজ্যত পৰিণত হ'ল। নগাৰাজ্যৰ বিভিন্ন ফৈদৰ লোকসকলে ইটো সিটো ফৈদৰ লোকৰ মাজত ভাবৰ আদান প্ৰদান কৰিব লাগিলে, এতিয়াও অসমীয়াৰ মাধ্যমেৰে কৰে। তেওঁলোকৰ 'নাগামিজ' অসমীয়ৰে অন্যৰূপ। এতিয়াও আমাৰ নগা ভাইসকলৰ লগত কথা পাতিলে আমিহে তেওঁলোকক ঘিণ কৰি ঠেলি আঁতৰাই দিয়া বুলি কয়। অৰুণাচলৰো সেই একেই কথা। অৰুণাচলৰ কামেং, সোৱণশিৰি, চিয়াং, লোহিত আৰু টিৰাপ জিলাৰ ইখনৰ লোকে সিখনৰ লোকৰ কথা বুজি নাপায়। এতিয়াও তেওঁলোকে পৰস্পৰৰ ভিতৰত যোগাযোগ কৰিব লাগিলে অসমীয়াৰ মাধ্যমেৰে কৰে। এতিয়াও তেওঁলোকৰ অসমীয়া শিকাৰ আগ্ৰহ আছে। এতিয়াও অসমৰ শিক্ষানুষ্ঠানলৈ আহি অসংখ্য ল'ৰা-ছোৱালীয়ে অসমীয়া পঢ়ি আছে। অথচ অতি পৰিতাপৰ বিষয় যে, আজি তেওঁলোক আমাৰ পৰা পৃথক হৈ পৰিছে। এই অঞ্চলবোৰত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিৰুদ্ধে তথা অসমীয়া লোকৰ চৰিত্ৰৰ বিৰুদ্ধে কি অপপ্ৰচাৰ, ষড়যন্ত্ৰ চলিছে সেইবোৰৰ কিমানখিনি ভূ আমি ৰাখিছো বন্ধুসকল? সেইবোৰৰ প্ৰতিকাৰৰ কাৰণে আমি কিবা প্ৰচেষ্টা চলাইছো নে? আমাৰ কোনো লোকক পঠিয়াই তাত প্ৰচাৰ নাইবা সংগঠন কৰিব পাৰিছো নে? আনকি এইবোৰ কাম কোনে কৰিছে, সেই বিষয়ে সঠিক খবৰ ৰাখিছো নে? সেইদৰে মিজোৰামৰ সৃষ্টি হ'ল, মেঘালয়ৰো সৃষ্টি হ'ল। গাৰো, জয়ন্তীয়া, খাছীয়াসকলক অসমীয়া নহয় বুলি কোনে ক'ব পাৰে? অথচ সেইসকল আজি অসমৰ বাহিৰত। এতিয়া আকৌ 'উদয়াচল'ৰ কথাও উঠিছে। কাছাৰবাসী অসমীয়া নহয় বুলিও প্ৰতিধ্বনি উঠিছে। এই কথাবোৰ ভালকৈ গমি চাবৰ সময় পাৰ হৈ গৈছে। ইয়াৰ বীজ কোন সময়ত কেনেকৈ সোমাল, সেই কথাবোৰ বিশ্লেষণ কৰি চাবৰ সময়ো কেনেকৈ সোমাল, সেই কথাবোৰ বিশ্লেষণ কৰি চাবৰ সময়ো প্ৰায় উকলি গ'ল। আজি আৰু বহি থকাৰ সময় নাই।

দেশপ্ৰেমী ৰাইজ, আমি আত্মবিশ্লেষণ কৰি চাই আত্মবিশ্বাস লাভ কৰিবলৈ সাজু হবৰ হ'ল, তেতিয়াহে আত্মপ্ৰতিষ্ঠা তথা জাতীয়প্ৰতিষ্ঠাকৰিবলৈ সমৰ্থ হ'ব পাৰিম। কি কাৰণে কব নোৱাৰো আমাৰ মন অৱসাদ, দুৰ্ব্বলতা আৰু হীনমন্যতাই অধিকাৰ কৰিছে। আমাৰ অতীতৰ সভ্যতা-সংস্কৃতি শৌৰ্য-বীৰ্য্যৰ কথা স্মৰণ কৰি, জাতীয় চৈতন্য লাভ কৰি, দুৰ্ব্বাৰ সাহসেৰে আমাৰ মনৰ পৰা অৱসাদ-দুৰ্ব্বলতা আঁতৰাই পেলাব লাগিব। আমি আত্মবলিদানৰ মন্ত্ৰেৰে আকৌ দীক্ষিত হ'ব লাগিব। সেয়েহে আজি যুৱশক্তিৰ তেজীয়ান জাগৰণদেখি মনলৈ আশাৰ সঞ্চাৰ আহিছে। তেওঁলোকৰ শক্তিৰ আস্ফালন নাই; কিন্তু শক্তিৰ ওপৰত আস্থা আছে। তেওঁলোকৰ জাগৰণ সুপৰিকল্পিত আৰু এই জাগৰণে তেওঁলোকৰ দুৰ্ব্বলতা আৰু হীনমন্যতা দূৰ কৰিছে। তেওঁলোকৰ অসীম শক্তি আৰু জাগৰণ দেখি ৰক্ষণশীল কোনো লোকে হয়তো ভয় কৰিব পাৰে; কিন্তু প্ৰগতিবাদী-

আশাবাদী লোকৰ কাৰণে ই আনন্দৰ কথা। কাৰণ এই জাগ্ৰত যুৱশক্তিক যদি বলিষ্ঠ নেতৃত্বৰে তেওঁলোকৰ অদম্য শক্তিক সুপথে চালিত কৰিব পৰা যায়, তেনেহলে আমাৰ ভৱিষ্যত অতি মঙ্গলময়।

আমাৰ সভ্যতা-সংস্কৃতি, শৌর্য্য-বীর্য্য, বৌদ্ধিক-বিকাশ অতি প্ৰাচীন। অন্ততঃ দুহাজাৰ বছৰ ব্যাপী থকা অসমৰ ঐতিহ্য পৰম্পৰাৰ ভূৰি ভূৰি প্ৰমাণ আছে। এই পূৱ প্ৰান্তত আর্য্য সভ্যতাৰ বিস্তাৰো অতি প্ৰাচীন। উত্তৰ-পশ্চিম প্ৰান্তৰ সিন্ধু উপত্যকাত আর্য্য সভ্যতা বিস্তৃতিৰ সময়তেই উত্তৰ-পূৱ প্ৰান্তৰ ব্ৰহ্মপুত্ৰ উপত্যকাতো আর্য্য সভ্যতা বিস্তৃত হৈছিল বুলি বিশ্বাস কৰাৰ থল আছে. সিন্ধু উপত্যকাৰ সভ্যতা হিমালয়ৰ পাদদেশেৰে বিয়পি পৰি অসম প্ৰৱেশ কৰোতে অধিক বিলম্ব হোৱা যেন নালাগে। অসম বুলিলে অৱশ্যে কালিকা পুৰাণ, যোগিনীতন্ত্ৰত উল্লেখ কৰা মতে --

নেপালস্য কাঞ্চনাদ্রিং ব্ৰহ্মপুত্ৰস্য সঙ্গমম্।
কৰতোয়াং সমাশ্রিত্য যাবদ্দিকৰ বাসিনীম্।।
উত্তৰস্যাং কুঞ্জগিৰিঃ কৰতোয়া তু পশ্চিমে।
তীর্থশ্রেষ্ঠা দিক্ষুনদী পূর্ব্বস্যাং গিৰিকন্যকে।।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সঙ্গমাৱধি।
কামৰূপ ইতিখ্যাতঃ সর্ব্বশাস্ত্রেষু নিশ্চিতঃ ।।

যোগিনীতন্ত্ৰ ১/১১/১৬-১৮

পশ্চিমে কৰতোয়াৰ পৰা আৰম্ভ কৰি অর্থাৎ কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ, দিনাজপুৰ, বগুৰা, আদিকে ধৰি বর্ত্তমানৰ অৰুণাচল, নগাৰাজ্য, মেঘালয়, মিজোৰামলৈকে এই বিৰাট ভূভাগ প্ৰাচীন অসমৰ অন্তর্ভুক্ত আছিল।

মণিপুৰ আৰু নেপালৰ বহু অংশ আনকি চীনৰ অনেক অংশও কামৰূপৰ ভিতৰত আছিল। নহলে ভগদত্তই চীনা সৈন্য লৈ কুৰুক্ষেত্ৰ যুদ্ধলৈ কেনেকৈ যাবলৈ পালে? আন হাতেদি আমি মহাভাৰত আৰু কৃষ্ণ চৰিত্ৰ সঁচা বুলি বিশ্বাস যদি কৰো, ইয়াকো বিশ্বাস কৰিব লাগিব যে শ্ৰীকৃষ্ণ সুদূৰ দ্বাৰকাৰ পৰা আহি অসমৰ পূৱ প্ৰান্তত থকা কুণ্ডিল নগৰৰ ৰজা ভীষ্মকৰ কন্যাক বিয়া কৰাই নিছিল। শ্ৰীকৃষ্ণই নিশ্চয় সংস্কাৰবিহীন, ঐতিহ্যবিহীন ঘৰৰ ছোৱালী বিয়া কৰাবলৈ অহা নাছিল। পশ্চিম প্ৰান্তত অৱস্থিত দ্বাৰকাৰ লগত পূৱ প্ৰান্তত অৱস্থিত অসমৰ (কামৰূপৰ) অবিচ্ছিন্ন যোগাযোগো নিশ্চয় প্ৰাচীন কালৰে পৰা আছিল। শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ কোঁৱৰ আৰু বাণৰ জীয়ৰী উষাৰ পৰিণয়েও সেই একে কথাকে সূচায়। উষা-চিত্ৰলেখাৰ কথোপকথন, বৌদ্ধিক বিকাশ আৰু কলা-সংস্কৃতিৰ জ্ঞান, নৃত্য-পটীয়সী চিত্ৰলেখাৰ নৃত্য-ভঙ্গিমা এই আটাইবিলাকে এখন সুসভ্য দেশেৰেই পৰিচয় দিয়ে। সেইদৰে পাণ্ডু পুত্ৰ ভীম আৰু অর্জ্জুনে হিড়িম্বা আৰু উলূপী-চিত্ৰাঙ্গদাক বিয়া কৰোৱা কথাইও সেই প্ৰমাণ দিয়ে। তদুপৰি এই ৰাজ্যৰ বিভিন্ন স্থানত থকা বশিষ্ঠাদি নানা ঋষি-মুনিৰ আশ্ৰমবোৰে আৰু লগতে প্ৰাচীন কীর্ত্তি-কলাপে এই দেশৰ সভ্যতা-সংস্কৃতিৰ কথা সোঁৱৰাই দিয়ে। সভ্যতাৰ ঐতিহ্য আৰু সংস্কৃতিৰ খ্যাতি আৰু পৰম্পৰা নথকা হলে এই দেশলৈ নানা ঋষি-মুনি আহি অধ্যয়ন-অধ্যাপনাত ৰত নাথাকিলহেতেন, বেদ-বদান্ত, গীতা-ভাগৱত, পুৰাণ-দর্শন আদি শাস্ত্ৰ চর্চ্চাৰ স্থান এই অসমত নাথাকিলহেঁতেন। অসমা-সুষমা কামৰূপা জননী কেৱল প্ৰকৃতিৰ ৰম্য স্থানেই নহয়, পুৰাকালৰে পৰা ই জ্ঞান আৰু সভ্যতাৰেও সমৃদ্ধ।

খৃষ্টীয় দ্বাদশ শতিকালৈ অর্থাৎ আহোমসকলৰ আমাৰ দেশলৈ অহাৰ আগলৈকে আমাৰ এই অসম দেশ (কামৰূপ) এক ৰজাৰ অধীনত আছিল। বর্ম্মা বংশৰ ৰজাসকল সপ্তম শতিকাৰ প্ৰায় শেষলৈকে, তাৰ পিছত শালস্তম্ভ বংশৰ ৰজাসকল আৰু পাল বংশৰ ৰজাসকল দ্বাদশ শতিকালৈকে কামৰূপৰ একছত্ৰী সম্ৰাট আছিল। দশম-একাদশ শতিকালৈ গোটেই ভাৰততে সংস্কৃত ভাষাৰ আৰু পালি-প্ৰাকৃত অপভ্রংশৰ ব্যবহাৰ আছিল। দেশী ভাষাবিলাকৰ তাৰ পিছতহে বিভিন্ন অপভ্রংশৰ পৰা সৃষ্টি হয়। সপ্তম শতিকাত ভাস্কাৰ বর্ম্মাৰ দিনত চীন পৰিব্ৰাজক হিউৱেনচাঙক আমাৰ ভাস্কৰ বর্ম্মাই আমন্ত্ৰণ কৰি আনিছিল আৰু তেতিয়াই তেওঁৰ নিচিনা বিদগ্ধ পণ্ডিতেও অসমৰ তেতিয়াৰ ভাষা, মধ্য ভাৰতৰ ভাষাতকৈ সামান্যহে পৃথক বুলি কৈছিল। সেই সময়ৰ ভাৰতৰ একছত্ৰী সম্ৰাট হর্ষবর্দ্ধনেও আমাৰ ভাস্কাৰ বর্ম্মাক ভূয়সী প্ৰশংসা কৰিছিল, সহৃদয় সম্বন্ধ স্থাপন কৰিছিল। ভাস্কাৰ বর্ম্মাই হর্ষবর্দ্ধনলৈ যি উপঢৌকন দিছিল সিবোৰেও আমাৰ সভ্যতা-সংস্কৃতিৰ পৰিচয়নিদিয়াকৈ থকা নাই। আহোমসকলে

ৰাজত্ব কৰা সময়তে পূব-দক্ষিণ ফালে কছাৰী ৰজাসকলে আৰু পশ্চিমে কোঁচ ৰজাসকলে ৰাজত্ব কৰিছিল। পৰৱৰ্ত্তী কালত দৰঙী ৰজা, ডিমৰীয়া ৰজা প্ৰভৃতি নানা বংশৰ ৰজাসকলেও কেতবোৰ ৰাজ্য স্থাপন কৰিছিল। কছাৰী (ৰৰাহী) ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাতে অপ্ৰমাদী কবি মাধৱ কন্দলীয়ে বাল্মীকি ৰামায়ণৰ নিচিনা আদৰ্শপূৰ্ণ মধুৰ কাব্যগ্ৰন্থ প্ৰাঞ্জল অসমীয়ালৈ অনুবাদ কৰিছিল। তেওঁৰ সমসাময়িক হেম সৰস্বতী, ৰুদ্ৰ কন্দলী আদিয়ে সুন্দৰ সুন্দৰ কাব্যগ্ৰন্থ ৰচনা কৰিছিল। কোঁচ ৰজাৰ আশ্ৰয়ত মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ প্ৰভৃতিয়েও তত্বপূৰ্ণ গ্ৰন্থৰাজি অসমীয়া ভাষাত প্ৰণয়ন কৰি অসমীয়া ভাষা-সংস্কৃতিৰ ঐতিহ্য সৃষ্টি কৰি গৈছে। মহাকবি ৰাম সৰস্বতীয়ে মহাভাৰত অনুবাদ কৰাৰ উপৰি অগণন গ্ৰন্থ প্ৰণয়ন কৰিছিল। ৰত্নাকৰ কন্দলীয়ে লিখা পদ্য ভাগৱতো হাতে লিখা অৱস্থাত সাঁচি পতীয়া পুথি হিচাবে পোৱা গৈছে। ভট্টদেৱে ষোড়শ শতিকাতে কথাভাগৱত, কথাগীতাৰ নিচিনা গদ্য গ্ৰন্থ প্ৰণয়ন কৰিছিল। ভাৰতৰ দেশীয় ভাষাবোৰৰ ভিতৰত এয়ে প্ৰথম গদ্য সাহিত্য সৃষ্টি বুলি প্ৰমাণিত হৈছে।

ডাকৰ বচন, ভণিতা, মন্ত্ৰপুথিবোৰ আৰু দীপিকাছন্দ প্ৰভৃতি গ্ৰন্থই অসমীয়া ভাষাৰ প্ৰাচীনত্ব খৃষ্টীয় ৭ ম শতিকা মানলৈ নিয়ে। মুঠৰ ওপৰত এইটো একেবাৰে সত্য কথা যে অসমীয়া ভাষাত ভাৰতীয় অন্যান্য দেশীয় ভাষাবিলাকৰ ভিতৰত প্ৰথমেই কাব্য, নাটক, গীত, পদ, গদ্য আদি সকলো প্ৰকাৰৰ সাহিত্য সম্ভাৰৰ সৃষ্টি হৈছিল। স্থাপত্য ভাস্কৰ্য্যৰ কথা প্ৰাচীন কীৰ্ত্তি-কলাপৰ ধ্বংসাৱশেষসমূহে আৰু 'আমবাৰী' প্ৰভৃতি ঠাইৰ খনন কাৰ্য্যই প্ৰমাণ কৰিছে। এই ৰাজ্যৰ চিত্ৰ বিদ্যাৰ প্ৰাচীনত্ব সম্বন্ধে হস্তীবিদ্যাৰ্ণৱ, শঙ্খচূড় বধ, চিত্ৰভাগৱত প্ৰমুখ্যে কেতবোৰ সাঁচি-পতীয়া পুথিৰ চিত্ৰই প্ৰমাণ দিয়ে। গণিত, জ্যোতিষ আদি বিষয়তো উচ্চ ধৰণৰ চৰ্চ্চা আৰু নানা গ্ৰন্থ প্ৰণয়ন হৈছিল। বিশেষকৈ স্মৃতি শাস্ত্ৰৰ বিশেষ অধ্যয়ন-অধ্যাপনা গবেষণা-চৰ্চ্চা প্ৰাচীন কামৰূপত হৈছিল। শ্ৰদ্ধেয় কনকলাল বৰুৱাই উল্লেখ কৰা মতে চাৰিখণ্ডেৰে নিৰ্ম্মিত বিৰাট স্মৃতিগ্ৰন্থ 'স্মৃতিসাগৰ' কামৰূপৰ গৌৰৱময় উজ্জ্বল মণি। মহামহোপাধ্যায় দামোদৰ মিশ্ৰ, পীতাম্বৰ সিদ্ধান্ত বাগীশ,নীলাম্বৰাচাৰ্য্য প্ৰভৃতি পণ্ডিতৰ নানা স্মৃতিগ্ৰন্থ, পুৰুষোত্তমৰ ৰত্নমালা ব্যাকৰণ আৰু মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যৰ বৃত্তমঞ্জৰীও অসমৰ একো একোটা কীৰ্ত্তিস্তম্ভ। এইবোৰ কথাই প্ৰমাণ কৰে যে কমেও বিগত দুহাজাৰ বছৰ ব্যাপী অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পৰম্পৰা অবিচ্ছেদ্যভাৱে চলি আহিছে। কিয়নো পৰম্পৰা নাথাকিলে একে দিনাই প্ৰাঞ্জল সাহিত্য সৃষ্টি আৰু সুন্দৰ কলা-কৃষ্টিৰ সম্ভৱ নহলহেঁতেন; যোগাযোগ আৰু সৰ্ব্বভাৰতীয় সংহতিত অসমৰ যোগসূত্ৰও নাথাকিলেহেঁতেন।

আমাৰ ইমানবোৰ ঐতিহ্যৰ খ্যাতি আৰু সংস্কৃতি-সম্পদ থকা সত্বেও এটা সময়ত আমাৰ দুৰ্য্যোগ আহি পৰিল। অষ্টাবিংশ শতিকাৰ শেষ ফালৰ পৰা উনবিংশ শতিকাৰ শেষলৈকে, প্ৰায় এশ বছৰৰ ওপৰ কাল আমাৰ কাৰণে অতি দুৰ্দ্দিনৰ কাল। মান-মৰাণৰ আক্ৰমণে আমাৰ দেশ জুৰুলা কৰিলে, আমাৰ দেশৰ প্ৰচুৰ ঐশ্বৰ্য্য ধ্বংস কৰিলে। তাৰ ভিতৰত অগণন হাতে লিখা সাঁচি-পতীয়া পুথিও কালৰ বুকুত জাহ গ'ল। যিবোৰ বিভিন্ন স্থানত বিভিন্ন কাৰণে সিঁচৰতি হৈ থাকিল সিবোৰ আমি এতিয়াও সম্পূৰ্ণৰূপে উদ্ধাৰ কৰিব পৰা নাই। পৰম শ্ৰদ্ধেয় হেমচন্দ্ৰ গোস্বামীদেৱে ১৯২০ চনতেই কোৱা মতে কমেও পাঁচ হাজাৰ অতি মূল্যৱান গ্ৰন্থ উদ্ধাৰ কৰিব পৰা অৱস্থাত আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ চেষ্টাত বিশেষকৈ শ্ৰীদণ্ডিৰাম দত্ত ডাঙৰীয়াৰ অশেষ যত্নৰ ফলত এতিয়ালৈ প্ৰায় চাৰি হাজাৰমান পুথি উদ্ধাৰ হোৱা বুলি জনা গৈছে। বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগ, কামৰূপ অনুসন্ধান সমিতি আৰু কামৰূপ সঞ্জীৱনী সভাইও বহু পুথি উদ্ধাৰ কৰিছে। এই ক্ষেত্ৰত পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামীদেৱেও কম অৰিহণা যোগোৱা নাছিল। ইয়াৰ বাহিৰেও অন্যান্য অনুষ্ঠান আৰু ব্যক্তিগতভাৱেও কিছু পুথিৰ উদ্ধাৰ হৈছে।

আনহাতেদি, ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম ৰাজ্যখন ইংৰাজৰ অধীনলৈ আহিল সৰতোকৈ পাছত। বস্তুতঃ পাশ্চাত্য সভ্যতা আৰু পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ অসমত প্ৰৱেশ কৰা মাত্ৰ এশ বছৰহে হ'ল। তাৰ উপৰিও অসমৰ ক্ৰমপৰিৱৰ্ত্তিত ভৌগোলিক অৱস্থানে অসমৰ সৰ্ব্বভাৰতীয় যোগসূত্ৰ ক্ষীণতকৈ ক্ষীণতৰ কৰি তুলিলে। তথাপিও অসমৰ সংস্কৃতি-গধুৰ প্ৰাচীনত্বৰ ওপৰত ভৰদি এক শক্তিশালী নব্য সাহিত্য গঢ় লৈ উঠিল। সাহিত্যৰ নৱযুগ আৰম্ভ হ'ল। নাটক-উপন্যাস, কবিতা-গল্প, ৰস-সাহিত্য আৰু চিন্তা-মুখী প্ৰবন্ধ, এই আটাইবোৰ কাব্য সৃষ্টিয়ে অসমীয়া ভাষাক এটা সাবলীল মননশীল আৰু মাধুৰ্য্যময় ভাষাত পৰিণত কৰিলে; কিন্তু প্ৰাচীন গৌৰৱ আৰু নব্য সাধনা থকা সত্বেও আমাৰ বিপৰ্য্যয়ৰ অন্ত নপৰিল। এটাৰ পাছত এটা বিপৰ্য্যয় আৰম্ভ হ'ল।

আমাৰ ভৰতবৰ্ষ দেশখন বহুতো ৰাজ্যৰ সমষ্টি। স্বাধীনতা লাভ কৰাৰ পাছত ভাষাৰ ভিত্তিত ৰাজ্যবোৰ বিভাজন কৰা হ'ল আৰু প্ৰত্যেক ৰাজ্যৰ কাৰণে সংবিধানত উল্লিখিত একো একোটা ভাষা আঞ্চলিক ভাষা হিচাবে স্থিৰ কৰা হ'ল। তেতিয়াই মাতৃভাষা নুবুলি আঞ্চলিক ভাষা বোলাৰ কাৰণ হ'ল যে যদিও ভাষাৰ ভিত্তিত ৰাজ্যবোৰ বিভাজন কৰা হ'ল, তথাপি প্ৰতিখন ৰাজ্যতে কম-বেছি পৰিমাণে সেই ভাষাভাষী লোকৰ বাহিৰেও অন্য ভাষাভাষী লোকো থাকিল। সেইবিভাজন অনুসৰি ৰাজ্য বিভাজন কৰাৰ পাছত প্ৰত্যেক ৰাজ্যৰ কাৰণে একো একোটা ৰাজ্যভাষা নাইবা আঞ্চলিক ভাষা স্থিৰ কৰি দিয়াও হ'ল। সেই অনুসাৰে অসমৰ ৰাজ্যভাষা নাইবা আঞ্চলিক ভাষা অসমীয়া বুলি স্থিৰ হ'ল; কিন্তু অসমৰ কাৰণে অতি দুৰ্কপালৰ কথা যে দেশ বিভাজনৰ সময়তো ইয়াত নানা ষড়যন্ত্ৰ চলিছিল পূৰ্ব্বাচল কৰাৰ কাৰণে, তথাপি শেষত আমাৰ নেতাসকলৰ চেষ্টা আৰু সাহিত্য সভা প্ৰভৃতি অনুষ্ঠান আৰু ৰাইজৰ নানা চেষ্টাৰ ফলত পূৰ্ব্বাচলৰ সৃষ্টি বন্ধ হ'ল। কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ, দিনাজপুৰ, বগুৰা আদি ঠাইৰ ভাষা-সংস্কৃতি, আচাৰ-ব্যৱহাৰ সকলো অসমীয়া। এতিয়াও সেই অঞ্চলৰ লোকে কথা কোৱা শুনিলে নাইবা তেওঁলোকক দেখিলে আৰু তেওঁলোকৰ আচাৰ-পদ্ধতি আৰু পৰিবেশ মন কৰিলে তেওঁলোকক অসমীয়া যেনেই লাগে। অথচ বহুকাল অসমতে থকা এই অঞ্চলটোক ইয়াৰ বাসিন্দাসকলৰ ইচ্ছাৰ বিৰুদ্ধেও ৰাজনৈতিক কাৰণত নাইবা ন্যস্ত স্বাৰ্থসিদ্ধিৰ কাৰণত অসমৰ পৰা আঁতৰাই নিয়া হ'ল। স্বাধীনতাৰ আগমুহূর্ত্ততো তাৰ লোকসকলৰ আনকি কোচবিহাৰৰ মহাৰজাৰো অসমত থকাৰ মত আছিল বুলি সেই সমস্যাত জড়িত থকা লোকৰ পৰা জনা যায়। কোচ ৰজাৰ আশ্ৰয়তে থাকি আমাৰ প্ৰগতিবাদী কবিগুৰু শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, ৰাম সৰস্বতী প্ৰমুখ্যে কবিসকলে শাস্ত্ৰ চৰ্চ্চা কৰিছিল; তত্বপূৰ্ণ গ্ৰন্থ প্ৰণয়ন আৰু অনুবাদ কৰিছিল, এই বিৰাট ৰাজ্যখনৰ সকলো জাতি, সকলো সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি আৰু সংহতি স্থাপন কৰিছিল, অকল কোচবিহাৰতে ২৪ খন সত্ৰ স্থাপন কৰিছিল -- তাৰ কীৰ্ত্তিস্তম্ভস্বৰূপ মধুপুৰ, বৈকুণ্ঠপুৰ, ভেলা, মাধৱপুৰ আজিও বিদ্যমান। গোৱালপাৰাকো অসমৰ গাৰ পৰা কাটি নিবলৈ বহুবাৰ চেষ্টা কৰা হৈছে; কিন্তু গোৱালপাৰাবাসী অসমীয়া আৰু তেওঁলোকে অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ উন্নতিৰ কাৰণে চিৰদিন অহোপুৰুষাৰ্থ কৰি আহিছে। তেনেস্থলতো খ্যাতনামা ঐতিহাসিক পণ্ডিত বুলি যাক আমি পূজা কৰি আহিছোঁ, সেই ৰমেশচন্দ্ৰ মজুমদাৰ ডাঙৰীয়া আৰু সেই নিচিনা কেবাগৰাকী লোকেও কাছাৰ আৰু গোৱালপাৰাক পশ্চিমবঙ্গৰ লগত সাঙুৰিবলৈ পৰামৰ্শ আগবঢ়ায়। যাক আমি আজি ভাৰতৰ অন্যতম বিখ্যাত পণ্ডিত হিচাবে পূজা কৰি আহিছোঁ -- তেনে লোকেও অসমৰ সাহিত্যিকৰ বিষয়ে কবলৈ যাওঁতে সেই সময়ৰ অসমৰ এজন-দুজনৰ নাম উচ্চাৰণ কৰি বঙ্গদেশৰ অগণনৰ নাম উল্লেখ কৰি আনন্দ পায়। আনকি লক্ষ্মীনাথ বেজবৰুৱাকো অসমীয়া ভাষাত লিখা তেওঁলোকৰ ভিতৰেএজন কবি-সাহিত্যিক বুলি উল্লেখ কৰাৰ পটন্তৰো আছে। সেই প্ৰসঙ্গত বঙ্গদেশৰ ঊনবিংশ শতিকাৰ উজ্জ্বল তাৰকাৰাজিৰ কথা কোৱাৰ লগতে আমাৰ ইয়াৰ আনন্দৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিৰ নাম পৰ্য্যন্ত উল্লেখ নকৰাত আমি অন্তৰত দুখ নোপোৱাকৈ থকা নাই।

আৰু যে কিমানজনে কিমান অসমৰ খ্যাতনামা সাহিত্যিকক নানা কাৰণ দেখুৱাই বঙ্গদেশৰ বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰি আহিছে ! আনকি এসময়ত অসমীয়া এটা সুকীয়া ভাষা নহয় বঙলা ভাষাৰহে অপভ্ৰংশ বুলি সাব্যস্ত কৰিবলৈকো কিছু লোকে চেষ্টা কৰিছিল। এই সকলোৰে বিনিময়তো অসমীয়া ৰাইজে, অসমীয়া সাহিত্যিকে, অসমীয়া পণ্ডিতে কিন্তু তেওঁলোকৰ ৰাজ্যৰ কৃতী পুৰুষ সকলক যথেষ্ট শ্ৰদ্ধা দেখুৱাই আহিছে।

তাৰ পিছত আহিল ১৯৬০/৬১ চনৰ ভাষা আন্দোলন। সেই আন্দোলনতো আমাৰ কেবাজন লোকে প্ৰাণ দিবলগীয়া হ'ল। অসমত ভাষা আইনৰ সৃষ্টি হ'ল। কাছাৰ জিলাত জিলা পৰ্য্যায়ৰ কাম চলাবলৈ বঙলা ভাষাৰ ব্যৱস্থা কৰা হ'ল; কিন্তু ঠিক একে পৰ্য্যায়ৰ পশ্চিমবঙ্গৰ দাৰ্জ্জিলিং জিলাৰ কাৰণে কেৱল নেপালী নকৰি বঙলা আৰু নেপালী দুয়োটাকে জিলা পৰ্য্যায়ৰ ভাষা বোলা হ'ল। কাছাৰত জিলা পৰ্য্যায়ত বঙলা ভাষাৰ ব্যৱস্থা হলেও কাছৰ কাৰণেও ৰাজ্য পৰ্য্যায়ৰ ভাষা অসমীয়াই থাকিল; কিন্তু দুৰ্ভাগ্যৰ কথা সেই ভাষা আইনৰ ব্যৱস্থা অনুসৰি ৰাজ্যভাষা অসমীয়াৰ অকল কাছৰ জিলাতেই নহয় সমগ্ৰ অসমতে সম্পূৰ্ণৰূপে প্ৰয়োগৰ ব্যৱস্থা কৰা ন'হল। তাৰ ফলত ১৯৭২ চনতো আকৌ ৰাজ্যভাষা নাইবা আঞ্চলিক ভাষা লৈয়ে নাইবা অসমীয়া মাধ্যম লৈয়ে অসমত আন্দোলন কৰিবলগীয়া হ'ল।

এই সকলোৰে গুৰি ক'ত তাক বিশ্লেষণ কৰিলে পোৱা যায় ইয়াৰ প্ৰধান কাৰণ হৈছে আমাৰ দুৰ্ব্বলতা আৰু তাৰ পৰা

উত্তৰ হোৱা হীনমন্যতা। তাৰে সুবিধা লৈয়ে ওচৰৰ বঙ্গদেশৰ পৰা অহা কিছুমান লোকৰ উচ্চমন্যতা আৰু তাৰ ফলস্বৰূপে নানা সময়ত নানা ষড়যন্ত্ৰ। ঊনবিংশ শতিকাৰ বঙ্গদেশৰ উজ্জ্বল তাৰকাসকলৰ আবির্ভাৱৰ কাৰণে কোনোৱে ঈৰ্ষা কৰা নাই, আমিও কৰা নাই, ৰৱং আমাৰ ভাৰতৰে গৌৰৱ বুলি ভাবো, সেইসকলক আমি পৰম শ্ৰদ্ধা কৰোঁ আৰু সেইসকলৰ সাহিত্যৰাজিকো আমি শ্ৰদ্ধাৰে অধ্যয়ন কৰোঁ। তেওঁলোকৰ লিখা অনেক গ্ৰন্থ অসমীয়ালৈ অনুবাদো কৰিছোঁ। ভাষা-সাহিত্যৰ ক্ষেত্ৰত আমাৰ কোনো প্ৰকাৰৰ সঙ্কীৰ্ণতা নাই।

অসমীয়া মানুহৰ আতিথ্যপৰায়ণতা উচ্চ প্ৰশংসিত। সেই কাৰণেই বিভিন্ন সময়ত অহা অকল ভাৰতৰ বিভিন্ন ঠাইৰ লোকেই নহয়, পৃথিৱীৰ বিভিন্ন স্থানৰ পৰা অহা লোকেও আমাৰ সৰলতা, উদাৰতা আৰু আতিথ্যপৰায়ণতাৰ প্ৰশংসা কৰি গৈছে। এনেকুৱা অসংখ্য লোক আমাৰ লগত সম্পূৰ্ণভাৱে মিলি গৈছে। দেশ বিভাজনৰ পিচত বাৰে বাৰে অসমে যিমানবোৰ ভগনীয়াক আশ্ৰয় দিছে, আন কোনো ৰাজ্যই সিমানক আশ্ৰয় দিছে বুলি কব নোৱাৰোঁ। অথচ বাসোপযোগী নাইবা খেতিৰ উপযোগী মাটি আমাৰ ইয়াত সিমান বেছি নাই। তাৰ প্ৰমাণ বৰ্ত্তমানে আমাৰ দেশৰ জনসংখ্যা অনুসৰি খেতি মাটি নাইবা বাসোপযোগী মাটিৰ পিনে লক্ষ্য কৰিলেই হয়। আমাৰ দেশত অৱসৰ বিনোদনৰ কাৰণে ৰখা খোলা ঠাই আৰু খেল-পথাৰ, ফল-ফুলনিৰ বাগিচাৰ অৱস্থাৰ পিনে চালেই হয়। এই ভগনীয়াসকলক আশ্ৰয় দি কত গোচৰণীয়া পথাৰ শেষ কৰা হ'ল তাৰ সীমা নাই। ফলত আজি অসমত গোপালনৰ কি কষ্ট হৈছে তাক সকলোৱে জানে। তদুপৰি আজি আমাৰ বড়ো কছাৰী ভাইসকলৰ আমাৰ ওপৰত অভিযোগ হৈছে যে তেঁলোকৰ কাৰণে আছুতীয়াকৈ ৰখা মাটিবোৰ তেওঁলোকৰ পৰা কাঢ়ি নি ভগনীয়াসকলৰ মাজত বিতৰণ কৰা হৈছে আৰু এই ঠাইবোৰত ২০/২৫ হাজাৰ পৰ্য্যন্ত একে, ভাষাভাষী একে সম্প্ৰদায়ৰ লোকক একেলগে থাকিবৰ সুবিধা দিয়া হৈছে। এই সকলৰ বহু লোক কৃষিজীৱী আৰু তেওঁলোকৰ বহুতে আমাৰ ভাষা-সাহিত্য সংস্কৃতিৰ লগত মিলি পৰিছে। সি ভাল কথা; কিন্তু ষড়যন্ত্ৰকাৰীসকলৰ কুচক্ৰান্তত এইবোৰ ঠাইতো বিদ্বেষ ভাৱৰ সৃষ্টি হোৱাৰ ভয় নোহোৱা নহয়।

আটাইতকৈ ডাঙৰ কথা হৈছে যে সৰ্ব্বভাৰতীয় চাকৰিৰ কেন্দ্ৰবোৰত এই ৰাজ্যৰ প্ৰতি আনুগত্য নাইবা শ্ৰদ্ধা নথকা এক শ্ৰেণীৰ বহু সংখ্যক লোকক দীৰ্ঘদিন ব্যাপী অসমৰ একেঠাইতে থকাৰ অবাধ সুবিধা দিয়া হৈছে। সৰ্ব্বভাৰতীয় চাকৰি যেনে, ৰেল-জাহাজ, ডাক-তাঁৰৰ বিভাগ, জীৱন বীমা, বেঙ্ক আদিৰ চাকৰিৰ ক্ষেত্ৰত ভাৰতৰ সকলো ঠাইৰ লোকৰে চাকৰি পোৱাৰ অধিকাৰ আছে, কিন্তু ভাৰতৰ অইন কোনো ৰাজ্যত এইদৰে নিজ ৰাজ্যৰ বাহিৰৰ পৰা অহা একে ভাষা-ভাষী লোক একে ঠাইতে ইমান বেছিকৈ কলোনী (উপনিবেশ) পাতি থকাৰ দৃষ্টান্ত নাই। এই চাকৰিবোৰত আমাৰ ৰাজ্যতো অসমীয়া, বঙালী, উৰিয়া, বিহাৰী, হিন্দুস্থানী, পঞ্জাবী, মাৰাঠী, মাদ্ৰাজী নাইবা কেৰালাবাসী আদি লোকক এই চাকৰিবোৰত নিযুক্তি দিলে, আমাৰ কোনো কথা কবলগীয়া নাই; কিন্তু আজি কোকৰাঝাৰ, বঙাইগাওঁ, ৰৰপেটা ৰোড, পাণ্ডু, হোজাই, লামডিং, তিনিচুকীয়া, হাফলং প্ৰভৃতি ঠাইত এই চাকৰিয়ালবোৰৰ সংখ্যাৰ কথা কোনোবাই ভাবি চাইছেনে? কাছাৰ জিলালৈ প্ৰত্যেকবাৰেই কিমান ভগনীয়াক আশ্ৰয় দিয়া হৈছে তালৈ কোনে লক্ষ্য কৰিছে। কাছাৰৰ খিলঞ্জীয়া অধিবাসীসকলে এই কথা স্পষ্টভাৱে কব পাৰে।

অসমে স্বাধীনতা হেৰুৱাই ইংৰাজৰ অধীন হোৱাৰ পিচৰে পৰা অৰ্থাৎ ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰায়ে এটাৰ পাছত এটাকৈ অসমৰ অস্তিত্ব লোপ কৰিবলৈ নানা চেষ্টা চলাই অহা হৈছে। ১৮৩৬ চনত ভাষা উচ্ছেদ সাধনৰ চেষ্টা, তাৰ পিচৰ স্বাধীনতা লাভৰ পূৰ্ব্বক্ষণত গ্ৰুপিঙত পেলোৱাৰ মাৰাত্মক চেষ্টা। স্বাধীনতা লাভৰ পিচৰ ক্ষণতে পূৰ্ব্বাঞ্চল ৰাজ্য স্থাপনৰ চেষ্টা, ১৯৫৫/৫৬ চনত ভাষাৰ ভিত্তিত ৰাজ্য বিভাজন কৰাৰ সময়ৰ অপচেষ্টা, ১৯৬০/৬১ চনৰ ভাষা আইন কৰা সময়ৰ নানা চেষ্টা আৰু শেষত ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ সময়ৰ নানা ষড়যন্ত্ৰ, এই সকলোবোৰৰে বীজ ক'ত আৰম্ভ হৈছিল সকলোৱে জানে। এই ৰাজ্যত অস্থায়ীভাৱে বসবাস কৰি, এই ৰাজ্যৰ প্ৰতি তিলাৰ্দ্ধমানো শ্ৰদ্ধা আনুগত্য নথকা লোকসকলৰ মাজতেই জানো আৰম্ভ হোৱা নাই? আৰু এই ক্ষেত্ৰত অসমৰ বাহিৰৰ পৰা যথেষ্ট ইন্ধন যোগোৱা জানো হোৱা নাই?

১৮২৬ চনৰ পাছত ইংৰাজ শাসকসকলৰ লগত অহা বঙালী চাকৰিয়ালসকলে দহ বছৰৰ ভিতৰতে ইংৰাজ শাসকসকলৰ কালত মন্ত্ৰ জাপি ১৮৩৬ চনত স্কুল আৰু আদালতৰ পৰা অসমীয়া ভাষা আঁতৰাইছিল যদিও ৩৬ বছৰৰ পাছত ১৮৭২ চনত আকৌ অসমীয়া ভাষা স্কুল, আদালতত প্ৰতিষ্ঠিত হ'ল। আমাৰ দেশপ্ৰাণ লোকসকলৰ আশাতীধীয়া যত্নৰ ফলত তেওঁলোকৰ

মন্ত্রই গুণ নিদিলে। তাৰ পাছৰ পৰা স্বাধীনতা লাভ কৰাৰ কিছুদিনৰ পিচলৈকেই প্ৰায় ৭০/৮০ বছৰ কাল আমি শান্তিৰেই বসবাস কৰি আছিলো। আমাৰ মাজত কোনো প্ৰকাৰৰ বিভেদৰো সৃষ্টি হোৱা নাছিল। হিন্দু-মুছলমান, অসমীয়া-বঙালী, উন্নত-অনুন্নত, পৰ্ব্বত-ভৈয়ামৰ লোক, অনুসূচিত জাতি ইত্যাদি কোনো বিভাজনেই নাছিল। আমাৰ ইয়ালৈ আহি স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা সকলো লোকেই নিজৰ নিজৰ মাতৃভাষা সাহিত্য-সংস্কৃতিৰ চৰ্চ্চা কৰিলেও আমাৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগত যে তেওঁলোক মিলি গৈছিল -- তাৰ ভূৰি ভূৰি পটন্তৰ আছে।

দেশ বিভাজনৰ পাছত বঙালী ভগনীয়াসকলৰ অকল যে অসমলৈকেই এনে নহয় বিহাৰ, উৰিষ্যা আদি ৰাজ্যলৈকো গৈছে। কিন্তু সেই ৰাজ্যবোৰত আজি তেনে কোনো গোলমাল, অশান্তি, অপ্ৰীতিকৰ ঘটনা হ'ব পৰা নাই। সেই ৰাজ্যৰ লোকে এই ভগনীয়া সমস্যা কি আৰু তাৰ ফল কি হ'ব পাৰে সেই বিষয়ে তিক্ত অভিজ্ঞতা লাভো কৰা নাই, তেওঁলোকে এই বিষয়ে চিন্তাও কৰিব পৰা নাই, তেনে চিন্তাৰ আৱশ্যকো তেওঁলোকৰ হোৱা নাই।

আমাৰ সামান্য অভিজ্ঞতাৰে যি দেখিছো, সেইবোৰ ৰাজ্যত এই তিক্ত অভিজ্ঞতাৰ লেশমাত্ৰও নাই, হবৰ স্থানো নাই। পাঞ্জাব আৰু বোম্বাইত সামান্য গোলমাল হ'ব ধৰোতেই ভাষাৰ ভিত্তিত পাঞ্জাবক ভাঙি পাঞ্জাব আৰু হাৰিয়ানা কৰা হ'ল আৰু বোম্বাই গুচাই মহাৰাষ্ট্ৰ আৰু গুজৰাট কৰা হ'ল। অসমত কিন্তু ভাষাৰ ভিত্তিত কোনো বিভাজন হোৱা নাই। যি বিভাজন হৈছে সি সম্পূৰ্ণ ৰাজনৈতিক কাৰণত অথবা ন্যস্ত স্বাৰ্থ সিদ্ধিৰ কাৰণত আমাৰ অসমৰ সমস্যা সম্পূৰ্ণ পৃথক হৈ থাকিল। আমাৰ দুৰ্ব্বল নেতৃত্বৰ কাৰণে, আমাৰ দূৰদৃষ্টিহীনতাৰ কাৰণে আৰু হীনমন্যতাৰ কাৰণে আজি আমি এই অৱমাননা, লাঞ্ছনা ভোগ কৰি নিজৰ অস্তিত্বকেই কঁপাই তুলিছো আৰু আমাৰ এই দুৰ্ব্বলতা হীনমন্যতাৰ সুযোগ লৈয়েই আমাৰ প্ৰাচীন ঐতিহ্য, সভ্যতা-সংস্কৃতিক অৱমাননা কৰিবলৈ আৰু আমাক হেয় প্ৰতিপন্ন কৰিবলৈ ষড়যন্ত্ৰকাৰীসকলে সাহস পাইছে। আমাৰ প্ৰচাৰহীনতাৰ কাৰণে বাহিৰত নানা অপপ্ৰচাৰ কৰি অসমৰ নামত কলঙ্ক সানিছে।

আন এটা মন কৰিবলগীয়া কথা হৈছে যে এই ভগনীয়াসকল আন যি ৰাজ্যলৈ গৈছিল সেই ৰাজ্যৰ ৰাজ্যভাষা কি সেই কথা জানি শুনিয়েই তাৰ লগত মিলিজুলি থাকিম বুলিয়ে গৈছিল। অইন ৰাজ্যবোৰত মিলিজুলি গৈছেও নাইবা মিলিজুলি পৰিবলৈ বাধ্য হৈছে; কিন্তু অসমৰ বেলিকা কিয় তাৰ অন্যথা হবলৈ পালে -- এই চুক্তি ভঙ্গ হ'ল কেনেকৈ? নিজৰ ঘৰতে এতিয়া আমি লোকৰআলহি হ'ব লাগিবনে কি?

অসমে কোনোদিন, কোনো কেন্দ্ৰীয় নীতিৰ বিৰোধিতা কৰা নাই, ভাষা আৰু মাধ্যমৰ ক্ষেত্ৰতো কৰা নাই। অসমৰ ৰাজ্যভাষা অসমীয়া-অসমৰ আঞ্চলিক ভাষা অসমীয়া, ইও কেন্দ্ৰীয় নীতি। ৰাজ্যভাষাৰ যোগেৰে চৰকাৰী কামকাজ কৰিব লাগে আৰু আঞ্চলিক ভাষাৰ যোগেৰে অন্ততঃ বিশ্ববিদ্যালয়ৰ শিক্ষা চলিব লাগে -- ইও কেন্দ্ৰীয় নীতি। অনেক ঠাইত কিন্তু যেনে, বিহাৰ আৰু উৰিষ্যাত মাধ্যমিক স্কুলতো, উৰিষ্যাত আনকি প্ৰাথমিক স্কুলৰে পৰা বিশ্ববিদ্যালয়লৈকে উৰিয়া ভাষাৰ মাধ্যমেৰে শিক্ষা কাৰ্য্য চলে। আমি অসমীয়া লোক অতি উদাৰ, সহানুভূতিশীল, নীতিপৰায়ণ, পৰহিতৈষী; সেই কাৰণেই প্ৰাথমিক স্তৰত কিয় মাধ্যমিক স্তৰতো বহিৰাগতসকলক নিজ নিজ মাতৃভাষাৰ মাধ্যমেৰে পঢ়াৰ সুযোগ দিছে। ইয়াতেই অসংহতিৰ বীজ ৰোপিত হৈছে। মাধ্যম আৰু ভাষা-সাহিত্য সম্পূৰ্ণ বেলেগ বস্তু। ব্যৱহাৰিক ভাষাজ্ঞান লাভ কৰিয়েই সেই ভাষা মাধ্যমেৰে উচ্চ শিক্ষা লাভ কৰিব পাৰি এই কথা সকলো ঠাইতে চলি আছে; কিন্তু সাহিত্য-সংস্কৃতি বেলেগ বস্তু। সি ইমান সহজ-সাধ্য নহয়। ইংৰাজী ভাষাৰ ব্যৱহাৰিক জ্ঞান লাভ কৰিয়ে, ইংৰাজী সাহিত্য নজনাকৈ ইংৰাজী মাধ্যমেৰে সকলোৱে বিশ্ববিদ্যালয়ৰ কিয় নানাবিষয়ক গবেষণা কাৰ্য্য পৰ্যন্ত কোনো অসুবিধা নোহোৱাকৈ চলাই আছে। তেনেহলে অসমীয়া ভাষাৰ ব্যৱহাৰিক জ্ঞান লাভ কৰি -- অসমত থকা লোকসকলে ব্যৱসায়-বাণিজ্য, চাকৰিপাতি যদি কৰিব পাৰে -- মাধ্যমিক স্তৰত সেই ভাষাৰ আৱশ্যকীয় প্ৰস্তুতি লাভ কৰি বিশ্ববিদ্যালয়ত সেই অসমীয়া ভাষাৰ মাধ্যমেৰে অধ্যয়ন-অধ্যাপনা কৰিব নোৱাৰাৰ কি যুক্তি থাকিব পাৰে? আমি কাৰো সাহিত্য-সংস্কৃতিৰ ওপৰত হাত দিব খোজা নাই -- কাকো ইয়াৰ পৰা খেদিও দিব খোজা নাই, কোনো সংখ্যালঘুৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব খোজা নাই, ৰবং সেইসকলক আমি আমাৰ ৰাজ্যতে সকলো ৰাজ্যতকৈ বেছি সুবিধা দিছোঁ। উপাধি শ্ৰেণীলৈ কিয় স্নাতকোত্তৰ শ্ৰেণীলৈ তেওঁলোকৰ ভাষা-সাহিত্যৰ অধ্যয়ন-অধ্যাপনাৰ ব্যৱস্থা আমাৰ বিশ্ববিদ্যালয়ে কৰিছে -- বঙলা আৰু হিন্দী দুয়ো ভাষাৰে। সেই ভাষা-সাহিত্যৰ গবেষণা কাৰ্য্য পৰ্যন্ত কৰিবলৈ দিয়া

হৈছে, চাকৰি, ব্যৱসায়-বাণিজ্য, সামাজিক মৰ্য্যদা সকলোকে দিয়া হৈছে; কিন্তু এই অসম ৰাজ্যতে থাকি ইয়াৰ হাৱা-পানী খাদ্যেৰে পৰিপুষ্ট হৈ ইয়াৰ প্ৰতি শ্ৰদ্ধা আনুগত্য নোহোৱাকৈ ইয়াত থকাৰ কাৰো অধিকাৰ নাই তাকেহে কৈছোঁ। সৌভাগ্যৰ কাৰণেই হওঁক বা দুৰ্ভাগ্যৰ কাৰণেই হওঁক ইয়ালৈ যি সকল আহিছে তেওঁলোক আমাৰ লগত মিলিজুলি থাকিবই লাগিব — নহলে তেওঁলোকৰো মঙ্গল নাই, আমাৰো মঙ্গল নাই।

বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া কৰা সম্পৰ্কে যোৱা কেইমাহমান আমাৰ ৰাজ্যত আন্দোলন হবলগীয়া হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৬ জুনৰ (১৯৭২) শিক্ষাপৰিষদৰ সিদ্ধান্তত সন্তুষ্ট হ'ব নোৱাৰি অসমৰ ছাত্ৰসকলে আন্দোলন আৰম্ভ কৰিলে। ১২ জুনত উক্ত পৰিষদে লোৱা অনধিক দহবছৰৰ কাৰণে ইংৰাজীক বিকল্প মাধ্যম ৰাখি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম একমাত্ৰ অসমীয়া হ'ব, এই সুচিন্তিত সিদ্ধান্তত অসমৰ ছাত্ৰ সম্প্ৰাও সন্তুষ্ট হ'ল, অসমৰ ৰাইজো সন্তুষ্ট হ'ল, ডিব্ৰুগড় বিশ্ববিদ্যালয়েও তদনুৰূপ সিদ্ধান্ত ললে। দুয়ো বিশ্ববিদ্যালয়েও তদনুৰূপ সিদ্ধান্ত ললে। দুয়ো বিশ্ববিদ্যালয়ে এই সিদ্ধান্ত কাৰ্য্যত পৰিণত কৰাৰ আৰম্ভ কৰিবলৈ নৌপাওঁতেই ইয়াৰ বিৰোধিতা কৰি কাছাৰৰ কেইখনমান মহাবিদ্যালয়ে আৰু পিচত ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰাও কেইখনমান বিদ্যালয়ৰ কৰ্ত্তৃপক্ষ, ছাত্ৰ নাইবা অভিভাৱকে উচ্চ ন্যায়ালয়ত গোচৰ দাখিল কৰিলে। ইয়াৰ প্ৰতিবাদ কৰি অসমৰ ছাত্ৰসম্প্ৰাই আৰম্ভ কৰা আন্দোলনত অসমৰ জনতাই পূৰ্ণ সমৰ্থন জনাই আন্দোলনত জপিয়াই পৰিল। এই আন্দোলন বন্ধ কৰিবলৈ অসম বিধান সভাই কাছাৰত এটা সুকীয়া বিশ্ববিদ্যালয় দি অসমক দ্বিভাষী ৰাজ্যত পৰিণত কৰিব খোজা মাৰাত্মক প্ৰস্তাৱ ললে। আন্দোলন দুগুণে বাঢ়িল। অসমৰ জনতা জিকাৰ খাই উঠি দৃঢ়কণ্ঠে, একমুখে, বজ্ৰনিনাদে কৈ উঠিল "আমি অসমক দ্বিভাষী ৰাজ্যত পৰিণত কৰিবলৈ কোনোমতে নিদিওঁ — বিধান সভাৰ ২৩ ছেপ্টেম্বৰৰ প্ৰস্তাৱ উঠাই লবই লাগিব।" অসমৰ ছাত্ৰ সমাজে জাতিৰপিতা মহামানৱ মহাত্মা গান্ধীৰ প্ৰদৰ্শিত অহিংস নীতি মানি, অতি শৃঙ্খলাবদ্ধভাৱে, গণতান্ত্ৰিক পদ্ধতিৰে যি অভূতপূৰ্ব্ব আন্দোলন চলালে, কুচক্ৰান্তকাৰীসকলৰ সকলো ষড়যন্ত্ৰতো অচল-অটল হৈ থাকি নেতৃত্ব দিলে, তাৰ কাৰণে অসমৰ ছাত্ৰ সমাজে সকলোৰে উচ্চ প্ৰশংসা লাভ কৰিলে। এই আন্দোলনত কোমল বয়সীয়া মোজাম্মিল, অনিল, প্ৰমোদ, বলেনে দুৰ্বৃত্তৰ হাতত আৰু শিক্ষক নৱেন মহন্তই পুলিচৰ গুলীত প্ৰাণ বলি দিলে। তেওঁলোকে ভাষা জননীৰ বেদীত প্ৰাণ বলিদান কৰি নশ্বৰ দেহ পৰিত্যাগ কৰিলে সঁচা; কিন্তু তেওঁলোক অমৰ হৈ গ'ল। তেওঁলোকৰ কৰুণ স্মৃতি আজি অসমৰ প্ৰতিলোকৰ অন্তৰতে জাগৰুক। তেওঁলোকৰ স্বৰ্গগত আত্মাই প্ৰেৰণা দি জনতাক জাগ্ৰত কৰিলে আৰু এনে শক্তি দিলে, যি শক্তিৰে নিজৰ প্ৰাণ বলিদান কৰিও চিৰ চেনেহী ভাষা জননীৰ সন্মান ৰক্ষা কৰিবলৈ অসমবাসী সমৰ্থ হব। ১৯৬০ চনৰ ভাষা আন্দোলনতো ৰঞ্জিত বৰপূজাৰী, সূর্য্য বৰা আদি আৰু কাছাৰতো ১১ জনে প্ৰাণ বলি দিছিল। এই প্ৰসঙ্গতে আমি এই সকলোৰে স্বৰ্গগত আত্মাৰ শান্তি কামনা কৰিলো।

এই আন্দোলন বন্ধ কৰিবলৈ আমাৰ ৰাজ্য চৰকাৰেও চেষ্টা কৰিলে আৰু কেবাজনো কেন্দ্ৰীয় নেতাও আহিল; কিন্তু জনতা দৃঢ়প্ৰতিজ্ঞ হৈ থাকিল। শেষত ১১ নবেম্বৰত (১৯৭২ চনত) অসমৰ মুখ্যমন্ত্ৰীয়ে প্ৰেছ বিজ্ঞপ্তিযোগে ঘোষণা কৰিলে যে বিশ্ববিদ্যালয়ৰ মাধ্যম সংক্ৰান্তত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ওপৰত কোনো প্ৰকাৰৰ হস্তক্ষেপ কৰা নহয়, সমগ্ৰ অসম ৰাজ্যতে যিসকলৰ মাতৃভাষা অসমীয়া নহয় সেইসকলৰ কাৰণে মাধ্যমিক স্কুলত বাধ্যতামূলক হিচাবে অসমীয়া ভাষা শিকোৱা হ'ব আৰু ২৩ ছেপ্টেম্বৰৰ বিধান সভাৰ প্ৰস্তাৱ পৰৱৰ্ত্তী অধিবেশনত উত্থাপিত কৰা হ'ব। এই ঘোষণাত অসমৰ সকলো লোকে সমৰ্থন জনালে— অসম ছাত্ৰ সম্প্ৰাইও সমৰ্থন জনাই সাময়িকভাৱে আন্দোলন স্থগিত কৰিলে। ইতিমধ্যে কাছাৰ জিলাৰো কছাৰী, মণিপুৰী, হিন্দুস্থানী, মুছলমান আৰু চাহ বাগিচাৰ বনুৱাকে ধৰি বুজসংখ্যক খিলঞ্জীয়া লোকে অসমৰ মুখ্যমন্ত্ৰীৰ এই ঘোষণাক সমৰ্থন কৰিলে; কিন্তু কাছাৰৰ উগ্ৰপন্থী বঙালী সম্প্ৰসাৰণবাদী কিছু লোকে কাছাৰ সংগ্ৰাম পৰিষদ পাতি নানা গোলমালৰ সৃষ্টি কৰিছে আৰু দিল্লীলৈ সঁজাতী দল পঠিয়াই নানা অপপ্ৰচাৰৰ চক্ৰান্ত কৰিছে। ফলত শান্ত্ৰী-সূত্ৰ, ত্ৰিভাষীসূত্ৰ আদিৰ ভিত্তিত শান্তিপূৰ্ণ পৰিবেশত ব্ৰহ্মপুত্ৰ উপত্যকা আৰু কাছৰ উভয়ৰ গ্ৰহণযোগ্য সূত্ৰৰ কাৰণে পুনৰালোচনালৈ ইঙ্গিত কেন্দ্ৰীয় চৰকাৰে দিছে। আমাৰ মুখ্যমন্ত্ৰীয়েও ধনৰ অভাৱ, প্ৰস্তুতিৰ অভাৱ আৰু শিক্ষক প্ৰশিক্ষণ আদি অসুবিধা দেখুৱাই কেতিয়াৰ পৰা মাধ্যমিক স্কুলত বাধ্যতামূলক অসমীয়া প্ৰচলন কৰা হব সেই দিন স্থিৰ নোৱা নাই বুলি কবলৈ বিচাৰিছে। অৱশ্যে চৰকাৰে প্ৰেছ বিজ্ঞপ্তিযোগে চৰকাৰৰ নীতি স্থিৰ আছে; আৰু কেবল ওপৰৰ কথাবিলাকৰ কাৰণে প্ৰয়োগৰ দিন স্থিৰ

হোৱা নাই বুলি কৈছে।

ইয়ে কাছাৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া বিদ্বেষীসকলক উৎসাহ দি অসমীয়াৰ লগতে বঙলাকো সমান মৰ্য্যাদা দিবলৈ কৰা আন্দোলনক সহায় কৰিব। কাছাৰৰ খিলঞ্জীয়া লোকসকলৰ দাবীও চৰকাৰে প্ৰত্যাখ্যান কৰিব নোৱাৰে। খিলঞ্জীয়া লোকসকলৰ দাবীও চৰকাৰে প্ৰত্যাখ্যান কৰিব নোৱাৰে। খিলঞ্জীয়া লোকসকল ভিতৰত মুছলমান, মণিপুৰী, হিন্দুস্থানী, কছাৰী, বৰ্ম্মন, চাহমজদুৰ প্ৰভৃতি লগ লাগি কমেও মুঠ জনসংখ্যাৰ তিনিচতুৰ্থাংশ হ'ব। এক চতুৰ্থাংশ বঙালীপ্ৰেমী লোক হ'ব পাৰে। বঙালী সম্প্ৰসাৰণবাদী এই একচতুৰ্থাংশ লোক আৰ্থিক, বৌদ্ধিক আৰু ৰাজনৈতিক সকলো ক্ষেত্ৰতে আগবঢ়া কাৰণে খিলঞ্জীয়া অসমীয়াপ্ৰেমী তিনিচতুৰ্থাংশ লোকক সকলোফালৰপৰা দমন কৰি ৰাখিছে, মূৰ দাঙিবলৈ দিয়া নাই। এওঁলোকৰ হাতত ক্ষমতা নাই কাৰণে কাছাৰৰ প্ৰকৃত অৱস্থা বাহিৰত প্ৰচাৰ কৰিব পৰা নাছিল। এইবাৰ কিন্তু কাছাৰৰ খিলঞ্জীয়া জনতাও জাগ্ৰত হৈ উঠিছে। তাৰ প্ৰমাণ, বঙালীপ্ৰেমীসকলে যেতিয়া কাছাৰত অসমীয়াৰ বিৰোধিতা কৰি বঙালী ভাষাৰ সমান মৰ্য্যাদা লাভ কৰাবৰ চেষ্টা কৰি অসমক দ্বিভাষী ৰাজ্যত পৰিণত কৰাবৰ কাৰণে কাছাৰ সংগ্ৰাম পৰিষদ পাতি আন্দোলন কৰিছে — নগৰ কেইখনত তেতিয়া গাওঁবাসী খিলঞ্জীয়া লোকসকলেও 'কাছাৰ শান্তি পৰিষদ' পাতি, নানা সভা-সমিতি কৰি তেওঁলোকৰ দাবীৰ কথা জনাবলৈ সাহস কৰিছে। অসম চৰকাৰ আৰু সাহিত্য সভাৰ ওচৰলৈ নানা সঁজাতী দল আহি তেওঁলোকৰ দাবী জনাই কৈছে যে মুখ্যমন্ত্ৰী সিংহ ডাঙৰীয়াৰ ১১ নবেম্বৰৰ বিজ্ঞপ্তিক তেওঁলোকে পূৰ্ণ সমৰ্থন কৰিছে — মাধ্যমিক স্কুলত অসমীয়া বাধ্যতামূলক ভাষা হিচাবে পঢ়াব খুজিছে, তাৰ কাৰণে শিক্ষক বিচাৰিছে, বিশ্বদ্যিালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া লব খুজিছে আৰু তেওঁলোকে অসমীয়া বুলি পৰিচয় দি চিৰদিন অসমত অসমীয়া হৈ থাকিবলৈ বিচাৰিছে, ব্ৰহ্মপুত্ৰ উপত্যকৰ লোকৰ ওচৰত তেওঁলোকৰ দাবী পূৰণৰ কাৰণে সকলো প্ৰকাৰৰ সহায় বিচাৰিছে আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ লোকেও তেওঁলোকক আঁকোৱালি লৈ সকলোপ্ৰকাৰে সহায় কৰিবলৈ গাত লৈছে। গতিকে ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে কাছৰৰ সংখ্যালঘুৰ কথা চিন্তা কৰোঁতে, এই খিলঞ্জীয়া লোকসকলৰ কথাও নিশ্চয় চিন্তা কৰিবই লাগিব। শাস্ত্ৰীসূত্ৰই হওক নাইবা ত্ৰিভাষীসূত্ৰই হওক কোন ৰাজ্যত প্ৰকৃতপক্ষে কি সূত্ৰ কাৰ্য্যত প্ৰয়োগ কৰা হৈছে সিও বিশ্লেষণ কৰি চাবলগীয়া বিষয়। এই সূত্ৰ হিন্দীভাষী ঠাইৰ বাহিৰে অইন ঠাইত প্ৰকৃতপক্ষে প্ৰযোজ্য নহয়।

সৰ্ব্বভাৰতীয় ৰাষ্ট্ৰীয় ভাষা এটা নথকাটো ভাৰতৰ কাৰণে যেনে গৌৰৱৰ কথা নহয়, তেনেকৈ প্ৰত্যেক ৰাজ্যৰ সুকীয়া সৃষ্ঠ ৰাজ্যভাষা নথকাটোও গৌৰৱৰ কথা নহয়। এই কথা ৰাজ্যত স্থায়ী ভাৱে বসবাস কৰি থকা প্ৰতিজন নাগৰিকেই অনুভৱ কৰিব লাগিব। নীতিগতভাৱে হিন্দী ভাৰতৰ ৰাষ্ট্ৰভাষা বুলি কোৱা নাই যদিও কাৰ্য্যতঃ সি ৰাষ্ট্ৰভাষাই হৈছে। হিন্দীভাষী ল'ৰা-ছোৱালীবিলাকৰ কাৰণে ইয়াত কিছু বেছি সুবিধা হৈছে নিশ্চয়-ত্ৰিভাষীসূত্ৰ প্ৰয়োগ কৰাতো অসুবিধা নাই; কিন্তু যাৰ মাতৃভাষা হিন্দী নহয় সেইসকলৰ কিছু অসুবিধা হৈছে, হলেও সেইসকলৰ নিজৰ সুবিধাৰ কাৰণেই ত্ৰিভাষী নহৈ চতুঃভাষী, পঞ্চভাষীসূত্ৰ কৰিব লাগিলেও হিন্দী পঢ়িবই লাগিব। ঠিক সেইদৰে অসমত স্থায়ীভাৱে বসবাস কৰি থকা লোকসকলেও যি ভাষী সূত্ৰই হওক লাগিলে অসমত আঞ্চলিক নাইবা ৰাজ্যভাষা অসমীয়া পঢ়িবই লাগিব। ইয়ে ৰাজ্যখনৰ প্ৰতি তেওঁলোকৰ আনুগত্য প্ৰকাশ কৰিব আৰু ই তেওঁলোকৰ কাৰণে সকলো ক্ষেত্ৰতে মঙ্গলদায়ক হ'ব। অইন ৰাজ্যত এই ব্যৱস্থা হৈছে, অসমতো ইয়াৰ কোনো বৈকল্পিক ব্যৱস্থা হ'ব নোৱাৰে, সি খাটাং সিদ্ধান্ত। এই সিদ্ধান্ত অসম চৰকাৰৰো আৰু অসমৰ বাহিজৰো। ইংৰাজী শিকি ইংৰাজী মাধ্যমেৰে উচ্চ শিক্ষা লাভ কৰিব পাৰে; কিন্তু অসমীয়া শিকি তাৰ মাধ্যমেৰে উচ্চ শিক্ষা লাভ কৰিব নোৱাৰে ই এক যুক্তিহীন জেদ নাইবা উচ্চমন্যতাৰ বাহিৰে একো নহয়।

বিশ্ববিদ্যালয়ৰ মাধ্যম হোৱাৰ লগে লগেই আমাৰ বিশ্ব বিদ্যালয়ে অসমীয়া ভাষাৰ যোগেৰে সম্ভৱস্থলত বিভিন্ন বিষয়ৰ গবেষণা কাৰ্য্য চলোৱা আৰু 'গবেষণা গ্ৰন্থ' (থেচিচ) অসমীয়া ভাষাৰে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিব লাগে। সৰ্ব্বভাৰতীয় পৰীক্ষাবোৰতো অসমীয়া ভাষাৰ যোগেও পৰীক্ষা লোৱাৰ ব্যৱস্থা অনতিপলমে হব লাগে। এই কথা সকলো শিক্ষাবিদেই স্বীকাৰ কৰিছে যে বিদেশী ভাষা এটাৰমাধ্যমেৰে পঢ়ি কোনো বিষয়ৰ সম্যক জ্ঞান লাভ কৰা যেনে কঠিন, মাতৃভাষা নাইবা আঞ্চলিক ভাষাবোৰৰ সম্যক উন্নতি সাধনো হ'ব নোৱাৰে। এই ক্ষেত্ৰত আমাৰ দেশত অনেক ইংৰাজীপ্ৰেমী লোক বেছি ৰক্ষণশীল আৰু ইংৰাজী মাধ্যম এৰি দিলেই আমাৰ সৰ্ব্বনাশ সাধন হ'ব বুলি এক অদ্ভুত ভ্ৰান্ত ধাৰণা তেওঁলোকৰ অন্তৰত পৰা

যোৱা নাই, আনকি মাধ্যম আৰু ভাষা-সাহিত্য যে দুটা সম্পূৰ্ণ বেলেগ বিষয় সেই কথাও পাহৰি গৈছে। এই ইংৰাজী প্ৰীতিয়ে আমাৰ যথেষ্ট অন্যায় সাধন কৰিছে — অনেক ক্ষেত্ৰত আমাক অন্ধ কৰি পেলাইছে। আমাৰ ৰাজ্যত ই আকৌ দৃঢ় ৰূপহে ধাৰণ কৰিছে আৰু ইয়ে আজি আমাৰ মাজত বিভেদ সৃষ্টি কৰাৰো প্ৰধান সহায় হৈছে। অৱশ্যে ইংৰাজী ভাষা হিচাবে পঢ়িবলৈ কোনোৱে বাধা দিয়া নাই ৰবং উৎসাহ দিছে, আমিও উৎসাহ দিছো। ভাৰততে নহয় বাহিৰৰ দেশবোৰেও তাকেই কৰিছে — তাৰ পৰা তেওঁলোকৰ সৰ্ব্বনাশ নিশ্চয় হোৱা নাই — ৰবং দিনকদিনে বেছি উন্নতিৰ শিখৰতহে উঠিছে।

আমাৰ পাহাৰ আৰু ভৈয়ামৰ ভাইসকলৰ মাজতো ষড়যন্ত্ৰকাৰীসকলে নানা বিভেদ আৰু বিদ্বেষৰ ভাব সুমাই দিবলৈ চেষ্টা কৰিছে। কোনো কোনো ক্ষেত্ৰত কিছুদূৰ কৃতকাৰ্য্যও হৈছে; কিন্তু আমাৰ এই অতি আপোন ভাইসকলক স্পষ্টভাৱে কওঁ যে তেওঁলোকৰ উপভাষা আৰু সংস্কৃতিক আমি আদৰ কৰোঁ, তেওঁলোকৰ কথ্যভাষাৰ পৰা অনেক শব্দ আৰু খণ্ডবাক্য আদি আমাৰ ভাষাত ব্যৱহাৰ কৰোঁ। উপযুক্ত ভাবপ্ৰকাশক অধিক শব্দ, খণ্ডবাক্য, প্ৰবচন বাক্য গ্ৰহণ কৰিবলৈ আমি সাজু আছোঁ আৰু তেওঁলোকৰ ভাষাক উপযুক্ত কৰি তোলাত নাইবা উন্নতৰ কৰি তোলাত যি পাৰো অৰিহণা যোগাবলৈকো সাজু আছোঁ। আমি যি সকলে আৱহমানকালৰে পৰা একে ঘৰ, একে ভাই হিচাবে বসবাস কৰি আছো সেইসকল যদি পৰ হয়, তেনেহলে অইন কোনো আপোন হব পাৰে? আশা কৰো এই ভুল বুজাবুজি আঁতৰাই আমি সকলোৱে মিলিজুলি থাকি উন্নতিৰ পথত আগুৱাই যাব পাৰিম।

গ্ৰিয়াৰ্চন, গেইট, ওৱাদিয়া প্ৰভৃতি ঐতিহাসিক পণ্ডিতসকলে তেওঁলোকৰ সাধনালব্ধ চিন্তাশীল লিখিত বিবৰণিসমূহৰে আমাৰ যথেষ্ট উপকাৰ সাধন কৰি গৈছে, তাত অকণো সন্দেহ নাই; কিন্তু উদ্দেশ্যধৰ্ম্মী খৃষ্টান ধৰ্ম্মপ্ৰচাৰকসকলে নানা সুবিধা দি খৃষ্টধৰ্ম্মলৈ পৰৱৰ্ত্তিত কৰা লোকসকলৰ মাজত অসমীয়াৰ প্ৰতি বিদ্বেষ ভাবৰ সৃষ্টি যে কৰিছে সি নিশ্চিত কথা। তাৰ কাৰণেও আমাৰ সজাগ হবৰ হৈছে। অভিধান, ব্যাকৰণ, আলোচনী উলিয়াই প্ৰথমে অৱশ্যে অসমীয়া জাতিৰ উপকাৰ কৰিছিল যদিও, তেওঁলোকৰ প্ৰধান আৰু দূৰদৰ্শী— এই ভাষাৰ মাধ্যমেৰে খৃষ্টধৰ্ম্ম প্ৰচাৰ কৰাহে। ব্ৰঞ্জন আদিৰ মিছনাৰীসকলৰ কথা অলপ সুকীয়া আছিল; কিন্তু দেখা যায়, বৰ্ত্তমানে ভালেমান মিছনাৰীয়ে নিৰীহ অসমীয়া অনেক লোকক নানা প্ৰলোভন দেখুৱাই ধৰ্ম্মান্তৰ কৰাৰ উপৰিও অসমীয়া ভাষাৰ প্ৰতিও তেওঁলোকৰ মাজত বিদ্বেষ ভাবৰ সৃষ্টি কৰিছে। সামাজিক আৰু ৰাজনৈতিক দুই-এক দুৰ্বলতাৰ আশ্ৰয় কৰিয়ে স্বাৰ্থান্বেষী ষড়যন্ত্ৰকাৰীসকলে সংখ্যালঘুৰ নামত আমাৰ অতি আপোন কোনো কোনো বড়ো-কছাৰী, ডিমাছা ভাইৰ মনত আমাৰ প্ৰতি বিদ্বেষ ভাবৰ সৃষ্টি কৰিবলৈ যত্ন কৰিছে — ই অতি পৰিতাপৰ কথা। এই ভাইসকলৰ যদি কিবা অভিযোগ আছে, সেই অভিযোগ অসমৰ সাধাৰণ জনতাৰ অভিযোগ, অকল তেওঁলোকৰেই নহয়। আমি ভাবো, আমাৰ ঘনিষ্ঠ যোগাযোগৰ দ্বাৰা, ভাবৰ আদান-প্ৰদানৰ দ্বাৰা, সেই ভুল বুজাবুজি দূৰ কৰি আমাৰ সকলোৰে সহযোগত তেওঁলোকৰ নিজা নিজা ভাষা-সংস্কৃতিৰ উন্নতি সাধন কৰাৰ লগতে, তেওঁলোকৰ ন্যায্য অভিযোগ পূৰণ কৰি আমি আমাৰ সংহতি ৰক্ষা কৰিব পাৰিম।

নানা ব্যৱসায়-বাণিজ্য আৰু চাকৰি-বাকৰি কৰি অসমত স্থায়ী হিচাবে বসবাস কৰি থকা, বঙালী লোকৰ বহুতেও আমাৰ বিৰোধিতা কৰা নাই। কৃষিজীৱী গাঁৱলীয়া অঞ্চলত বসবাস কৰি থকা অসংখ্য বঙালী লোক সম্পূৰ্ণ অসমীয়া হৈ পৰিছে। তেওঁলোকে প্ৰাথমিক স্কুলৰ পৰা আৰম্ভ কৰি সকলো স্তৰতে অসমীয়া মাধ্যমেৰে ল'ৰা-ছোৱালীক শিক্ষা দিছে। পৰম শান্তিৰে বসবাস কৰি আছে। এই প্ৰসঙ্গত অসমত স্থায়ীভাৱে বসবাস কৰি থকা বহুতো বঙালীলোকৰ লগত আমি আলাপ-আলোচনা কৰিছিলো আৰু সেইসকলে আমাৰ মতৰ লগত মত মিলাই কৈছিল যে "আমি অসমতে স্থায়ীভাৱে বসবাস কৰিছোঁ যেতিয়া, অসমৰ খিলঞ্জীয়া লোকৰ লগত মিলিজুলি থাকিবলৈহে আমি ইচ্ছা কৰো আৰু অসমীয়া মাধ্যমেৰে ল'ৰা-ছোৱালীক পঢ়ুৱাৰ কাৰণেও আমাৰ কোনো আপত্তি নাই, কেৱল অলপ প্ৰস্তুতিৰ সময় লাগে, মাধ্যমিক স্তৰৰে পৰা সেই প্ৰস্তুতি আৰম্ভ কৰিব লাগে।" — গতিকে সেইসকল লোকৰ ল'ৰা-ছোৱালীক মাধ্যমিক স্তৰৰে পৰা অসমীয়া পঢ়াৰ সুবিধা দিলে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া কৰাত তেওঁলোকে কোনো আপত্তি নিশ্চয় নকৰে। মাতৃভাষা বঙলা হোৱা সত্বেও ডঃ যোগীৰাজ বসু ডাঙৰীয়াই 'বেদৰ পৰিচয়'ৰ নিচিনা সুন্দৰ কিতাপ প্ৰাঞ্জল অসমীয়া ভাষাৰে লিখিছে আৰু অসম প্ৰকাশন পৰিষদে তাক প্ৰকাশ কৰিছে। অসমত অসংখ্য বঙালী লোকে অসমীয়া ভাষা শিকিছে, অসমীয়া মাধ্যমেৰে পঢ়িছে, চৰ্চ্চা কৰিছে, অসমীয়া ভাষাৰে

সভা-সমিতিত বক্তৃতা দিছে, অসম সাহিত্য সভাৰ সক্রিয় সভ্য হৈ ইয়াৰ উন্নতিকল্পে যত্ন কৰিছে। কেৱল কাছাৰৰ প্ৰব্রজনকাৰী লোকসকলে আৰু ব্রহ্মপুত্র উপত্যকাৰ 'ক'লনী' কৰ থকা অসমৰ প্রতি অকণো শ্রদ্ধা-ভক্তি আনুগত্য নথকা স্বার্থন্বেষী এক শ্রেণী লোকৰ ষড়যন্ত্র আৰু অপচেষ্টাৰ ফলতেই আজি আমাৰ এই দুর্যোৰ অশান্তিৰ সৃষ্টি হৈছে আৰু সিয়ে অসমত থকা নিৰপৰাধ আৰু শান্তিকামী বঙালীলোকসকলৰ নামতো কলঙ্ক সানিছে, আমাৰ মাজত বিভেদ আৰু বিদ্বেষৰ বীজ সিঁচিছে।

সকলো কথাৰ গুৰিৰে পৰা ঐতিহ্য এটা সৃষ্টি কৰিব নোৱাৰিলে পিছত তাক সলনি কৰা টান হৈ পৰে। স্বৰাজোত্তৰ কালৰ আৰম্ভণিৰে পৰা আৰু ভাষাৰ ভিত্তিত দেশ গঠনৰ সময়ৰে পৰা আমি সাহসেৰে সৈতে সকলো সিদ্ধান্ত কৰিব নোৱাৰা কাৰণেই আমাৰ আজি এই অৱস্থা হৈছে। অসম ৰাজ্যৰ ভিতৰত বাস কৰা লোকক অসমীয়া ভাষা কবলৈ কলেও আমি সঙ্কীর্ণমনা, জাতীয়তাবাদী বুলি আখ্যা পাওঁ, আমাৰ ৰাজ্যৰ প্রতি আনুগত্য প্রকাশ কৰিবলৈ কলে নাইবা আমাৰ ৰাজ্যৰ সমৃদ্ধিৰ কৰাণে চিন্তা কৰিবলৈ কলেও আমি স্বার্থপৰ হওঁ, অথচ ভাৰতৰ অইন অইন ৰাজ্যবোৰত গুৰিৰে পৰা সাহসিকতাৰে সৈতে সিদ্ধান্তবোৰ কৰি যোৱা কাৰণে ঠিক এনেৰূপে কাম কৰিও তেনে অপযশ লাভ কৰা নাই; কিন্তু অতি বিস্ময়ৰ কথা যে সেই ৰাজ্যৰ পৰা অহা লোকেই আমাক সঙ্কীর্ণমনা বুলি বিৰূপ সমালোচনা কৰে। ভাৰতৰ অন্যান্য দেশৰ ডাঙৰ নেতাসকল আহি যেতিয়া ইয়াত বসবাস কৰি থকা সকলো লোকৰেই নিজ নিজ মাতৃভাষাৰ যোগেৰে পঢ়িবৰ অধিকাৰ থকা বুলি কয়, তেতিয়া তেওঁলোকৰ নিজ নিজ ৰাজ্যত তেওঁলোকে সেই কথা কি দৰে সমাধা কৰিছে তাকেই বা ভাবি নাচায় কিয় আমি বুজি নাপাওঁ। -- উদাৰতাৰ পৰামর্শ দিওঁতে নিজে সেই উদাৰতাৰ কাম কৰিছে নে নাই তাকো এবাৰ ভাবি চাব লাগে।

নিস্বার্থ সমাজসেৱকসকলৰ দ্বাৰা অনুপ্রাণিত হৈ গণদেৱতা যেতিয়া জাতীয় চৈতন্যেৰে জাগ্রত হৈ উঠিব, তেতিয়াই সেই দেশ আৰু সেই জাতি প্রকৃতৰূপে শক্তিমন্ত হৈ উঠে আৰু তেতিয়াহে সেই দেশৰ তথা সেই জাতিৰ আকাঙ্খিত পৰিকল্পনা আৰু জাতীয় চৰকাৰে লোৱা তদনুৰূপ আঁচনি কার্য্যত পৰিণত কৰিবলৈ চৰকাৰে প্রকৃত সাহস আৰু শক্তি লাভ কৰে।

এটা জাতিৰ সর্ব্বময় মঙ্গল হবলৈ হলে লাগে একদল নিস্বার্থ ত্যাগী, নিষ্ঠাৱান প্রগতিবাদী কবি-সাহিত্যিক। এই কবি-সাহিত্যিকসকলে তেওঁলোকৰ অতীতৰ মধুৰ স্মৃতি আৰু ঐতিহ্যসংস্কৃতি আৰু লগতে বর্ত্তমানৰ বাস্তৱ সত্যক আশ্রয় কৰি লিখা ওজস্বিনী, প্রেৰণাময়ী বাণীৰে প্রাণস্পর্শ কৰি জনতাক জাগ্রত কৰিব পাৰিলেই -- সেই জনতাৰ মাজৰ পৰায়ে ওলাই আহে দলে দলে নিষ্ঠাৱান প্রচাৰক, সংগঠক আৰু শিল্পী-সাহিত্যিক আৰু এই সকলৰ একান্ত শ্রম আৰু ত্যাগৰ ফলতেই সেই দেশৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ভেঁটি সুদৃঢ় হয়; তেতিয়া সেই জাতিক নাইবা তাৰ সাহিত্য-সংস্কৃতিক অৱমাননা কৰিবলৈ কাৰো সাহস নহয়। আমিও আমাৰ ভাষা-সাহিত্য-সংস্কৃতিক তেনে সুদৃঢ় ভেঁটিত স্থাপিত কৰিব লাগিব আৰু তাৰ কাৰণে অসম সাহিত্য সভা অগ্রণী হ'ব লাগিব। তাকে কৰিবলৈ আমি বাৰদফীয়া এক আঁচনি লবলৈ মানস কৰিছোঁ। আমাৰ বিশ্বাস সুপৰিকল্পিতভাৱে এই আঁচনি কার্য্যত পৰিণত কৰিব পাৰিলেই আমি আমাৰ লক্ষ্যত উপনীত হ'ব পাৰিম।

প্রকাশন ঃ

যোৱা ৫৫ বছৰে অসম সাহিত্য সভাই অসমীয়া ভাষা সাহিত্যৰ আৰু সংস্কৃতিৰ উন্নতিৰ মর্য্যাদা ৰক্ষাৰ কাৰণে কম অৰিহণা যোগাই অহা নাই। বর্ত্তমান অৱস্থাৰ পৰিপ্রেক্ষিতত আৰু বেছি যত্ন কৰিব লাগিব। প্রতিবছৰে নতুন সভাপতি আৰু নতুন কার্য্যনির্ব্বাহকে এই উদ্দেশ্যে কিছু কিছু নতুন আঁচনি গ্রহণ কৰে; কিন্তু এই আঁচনিবোৰৰ পৰম্পৰা চাবলৈ এটা স্থায়ী "এজেন্সী" নোহোৱা বাবে সকলোবোৰ আঁচনি যথাযোগ্যভাৱে কার্য্যত পৰিণত কৰাত কিছু অসুবিধা হয় আৰু ফল আশানুৰূপে হৈ নুঠে। সেই অভাৱ পূৰণ কৰিবৰ কাৰণে এখন স্থায়ী প্রকাশন সমিতি কৰিব লাগে। এই সমিতি বিশেষ নিষ্ঠাৱান পাঁচজন সদস্যেৰে গঠিত কৰি প্রথম অৱস্থাত প্রতি বছৰৰ অন্তত এজনকৈ এৰি দি আন এজন নতুনকৈ লব লাগে। পাঁচ বছৰৰ পিছতে এই সমিতিৰ প্রত্যেকজন সদস্যৰ কাল ৫ বছৰকৈ হব। এই পাঁচজনীয়া সমিতিলৈ নতুন সভাপতি, প্রধান সম্পাদক, পত্রিকা সম্পাদক আৰু কার্য্যনির্ব্বাহকৰ আন এজন সদস্য আহিব আৰু মুঠ সদস্য সংখ্যা নজন হ'ব। এই সমিতিৰ ওপৰত সভাই লোৱা আঁচনিবোৰ কার্য্যত পৰিণত কৰা দায়িত্ব থাকিব।

এই ক্ষেত্রত আমাৰ প্রকাশকসকলৰ লগত বিশেষ সংযোগ স্থাপন কৰিব লাগিব। হৰিবিলাস আগৰৱালা, হৰিনাৰায়ণ দত্ত ৰৱৰা, ৰৱকটকী কোম্পানী, ভট্টাচার্য্য এজেন্সী আদিয়ে পুৰণি বহু মূল্যৱান গ্রন্থ প্রকাশ কৰি অসমীয়া ভাষা-সাহিত্যৰ প্রকাশ

আৰু প্ৰচাৰ ক্ষেত্ৰত সহায় কৰিছিল। পৰৱৰ্তীকালতো অন্যান্য বহু প্ৰকাশ প্ৰতিষ্ঠানে বহু কিতাপ প্ৰকাশ কৰি ভাষা জননীৰ সেৱা কৰি আছে। আমাৰ ভাষাত এতিয়ালৈ উপন্যাস আৰু চুটি গল্প বহুতো ওলাইছে; এইবোৰৰ বহুতৰ মানো উচ্চ ধৰণৰ. উপন্যাস আৰু চুটি গল্পৰ অৱস্থা ভাৰতৰ আন কোনো ভাষাৰ উপন্যাস, চুটি গল্পতকৈ হীন নহয়, বৰং বেছ সন্তোষজনক। সাম্প্ৰতিক কবিতা পৰীক্ষা-নিৰীক্ষাৰ মাজেদি আগবাঢ়ি আহিলেও বহুতেই পাঠকৰ সমাদৰ পাইছে। বৰ্ত্তমানে কেইবাখনি স্বৰচিত মৌলিক কবিতা পুথিৰ উপৰিও ইংৰাজীৰ যোগেদি হলেও ৰাছিয়ান, চীনা, জাপানী, পাৰচীয় প্ৰমুখ্যে বিভিন্ন বিদেশী ভাষাৰ ভ়ালেমান আগশাৰীৰ কবিতা অসমীয়ালৈ অনুদিত হোৱাটোও বৰ সন্তোষৰ কথা। আন হাতে কিছুমান অসমীয়া কবিতা ইংৰাজীৰ উপৰি কেইবাটিও ভাৰতীয় ভাষালৈ অনুদিত হৈছে। আমি আশা কৰো অনুবাদৰ এই দুয়োদিশৰ সম্প্ৰসাৰণৰ কাৰণে নতুন ডেকা লিখকসকলে মনোনিবেশ কৰিবলৈ আমাৰ দুই-এক উদ্দীয়মান কবিয়ে অন্য ভাষাৰ যোগেৰে মৌলিক কবিতাও লিখিবলৈ লৈছে। সমালোচনা গ্ৰন্থৰ সংখ্যাও আমাৰ ভাষাত বৃদ্ধি পাইছে; কিন্তু বিভিন্ন বিষয়ৰ পূৰ্ণ পৰ্য্যায়ৰ সমালোচনামূলক গ্ৰন্থৰ আৰু প্ৰয়োজন। ভ্ৰমণ কাহিনী, জীৱন বৃত্তান্তৰ কিতাপো ভালেমান ওলাইছে। এনে পুথিৰ আৰু প্ৰয়োজন আছে। আমাৰ প্ৰকাশকসকলে এই পুথিবোৰ প্ৰকাশ কৰি লিখকসকলক উৎসাহ দিছে। সাহিত্য সভাই এই প্ৰকাশকসকলক আনুষ্ঠানিকভাৱে ধন্যবাদ জ্ঞাপন কৰিছে আৰু লগতে আমাৰ ৰাজ্যৰ প্ৰকাশকসকলে সেই সকলোৰে সামূহিক প্ৰচেষ্টাত সুষ্ঠ অৱস্থালৈ অনাৰ চেষ্টা কৰিব বুলিও আশা কৰিছে। সাহিত্য সভাই প্ৰস্তুত কৰা আমাৰ ভাষা-সাহিত্যৰ কাৰণে বিশেষ উপযোগী অথচ কম বিক্ৰী হোৱা কিতাপো যাতে দুই-এখনকৈ প্ৰকাশ কৰি ভাষা জননীক সেৱা কৰে তাৰ কাৰণেও তেওঁলোকক অনুৰোধ কৰিলো। মুঠতে প্ৰকাশকসকলে আমাৰ প্ৰকাশন আঁচনি কাৰ্য্যত পৰিণত কৰাত সম্পূৰ্ণ সহযোগিতা কৰিব লাগিব।

বৰ আনন্দৰ কথা যে অসম চৰকাৰে প্ৰতিষ্ঠা কৰা 'অসম প্ৰকশন পৰিষদে'যোৱা কেইবছৰত আমাৰ ভাষাৰ বহুতো অপূৰ্ব্ব গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। ইংৰাজী ভাষাত লিখা ভাৰতীয় আৰু বিদেশী বহু গ্ৰন্থকাৰৰ বহুমূলীয়া গ্ৰন্থও কেইবাজনো আমাৰ কৃতী সাহিত্যিকৰ হতুৱাই অনুবাদ কৰাই প্ৰকাশ কৰিছে। আনন্দৰাম বৰুৱাদেৱৰ দুষ্প্ৰাপ্য অমূল্য গ্ৰন্থৰাজি প্ৰকাশ কৰি অসমীয়া জাতিৰ গৌৰৱ বৃদ্ধি কৰিছে। বৰ্ত্তমানেও আৰু কেবাটিও বৃহৎ কাম বিশেষকৈ 'অসমীয়া বিশ্বকোষ' নিৰ্ম্মাণ, জ্ঞানোদয় নামৰ এলানি মৌলিক গ্ৰন্থ প্ৰণয়ন আৰু বিভিন্ন বিষয়ৰ ন-পুৰণি, বহু গ্ৰন্থ হিন্দীলৈ অনুবাদৰ আঁচনি আৰু তাৰ ৰূপায়ণৰ কিছু অগ্ৰগতিৰ কথা জানি আমি পৰম আনন্দ লাভ কৰিছো। আশা কৰো অসম প্ৰকাশন পৰিষদে এনেকুৱা ব্যয়বহুল অথচ অতি লাগতিয়াল কামবোৰ চৰকাৰ আৰু ৰাইজৰ সহযোগত সম্পাদন কৰি আমাৰ ভাষা-জননীক সেৱা কৰিব আৰু আমাৰ ৰাজ্যৰ গৌৰৱ বঢ়াব।

অসমত চলি থকা অসমীয়া আৰু ইংৰাজী বাতৰি কাততবোৰে আৰু আকাশবাণীয়েও অসমীয়াভাষা-সাহিত্যৰ বেদীত কম অৰিহণা যোগাই থকা নাই। আজিকালি প্ৰায় বাতৰি কাকতবোৰেই চিন্তাশীল নানা বিষয়ক প্ৰবন্ধবো প্ৰকাশ হোৱাত বাতৰি কাকতবোৰৰ বাতৰি পৰিবেশন কৰাৰ উপৰিও সৰ্ব্বসাধাৰণ মনত সাহিত্য চৰ্চ্চাৰ প্ৰেৰণাও জগাইছে।

অসম বিজ্ঞান সমিতিয়ে সৰ্ব্বসাধাৰণৰ মাজত মনোগ্ৰাহী 'বিজ্ঞান সাহিত্য' আৰু 'বিজ্ঞানজেউতি' নামৰ তিনিমহীয়া আলোচনী উলিয়াই অসমীয়া সাহিত্যৰ এই বিষয়ক অভাব দূৰ কৰিবলৈ চেষ্টা কৰিছে। আমি তেওঁলোকৰ এই প্ৰচেষ্টাৰ শলাগ লৈছো আৰু বিজ্ঞান বিষয়ক সাহিত্য সৃষ্টি কৰাত সাহিত্য সভাক সহায় কৰিব বুলি আশা কৰিছো। চিকিৎসা বিষয়ক মনোগ্ৰাহী গ্ৰন্থও দুই-চাৰিখন ইতিমধ্যে আমাৰ ভাষাত ওলাইছে, অদূৰ ভৱিষ্যততে এই বিষয়ক গ্ৰন্থ আৰু বেছি আশা কৰিছো।

আমাৰ বোধেৰে সাহিত্য সভাই বুৰঞ্জী শাখাৰ নিচিনাকৈ 'দৰ্শন শাখা' আৰু 'বিজ্ঞান শাখা' পতাৰ ব্যৱস্থাও কৰিব লাগে। এনে শাখা সভা পতাৰ ব্যৱস্থা আগতেও আছিল। সকলো শাখাৰ অংশগ্ৰহণকাৰীসকলৰ ভাষণবোৰ সংৰক্ষণ কৰি প্ৰকাশ কৰিব লাগে।

১/ পূৰ্ণাঙ্গ অভিধান :

ভাষাৰ সম্পূৰ্ণাঙ্গ অভিধান এখন প্ৰস্তুত কৰা এটা অতি ডাঙৰ কাম অথচ ই ভাষাৰ এক অপৰিহাৰ্য্য অঙ্গ। বৰ্ত্তমান সময়ত আমাৰ ভাষাত নানা কাৰণত নতুন নতুন বহু শব্দৰ আৱশ্যক হৈছে। বিজ্ঞান শিক্ষাৰ কাৰণে সৰু কালৰে পৰা ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষিত কৰিবলৈ মাতৃভাষা নাইবা আঞ্চলিক ভাষাৰ যোগেৰে এই শিক্ষা দিবলগীয়া হোৱাত আৰু বিশ্ববিদ্যালয়ৰশিক্ষাৰমাধ্যম

আঞ্চলিক ভাষা হোৱাত বিজ্ঞান, দর্শন, অর্থনীতি, ৰাজনীতি আদি সকলো বিষয়ৰে যথেষ্ট সংখ্যক পাৰিভাষিক শব্দৰ প্ৰয়োজন হৈছে, উপযুক্ত অর্থপ্রকাশক যথেষ্ট অন্য শব্দবো প্রয়োজন হৈছে। বিশ্ববিদ্যালয়ে বিশেষজ্ঞৰ হতুৱাই সংস্কৃত মূল শব্দ নাইবা প্রত্যয় সিদ্ধ শব্দৰ নানা বিষয়ৰ পাৰিভাষিক শব্দ নির্ম্মাণ কৰিছে। অকল পাৰিভাষিক শব্দই সম্পূর্ণ নহয় অর্থপ্রকাশক অন্যান্য বহু শব্দৰ আৱশ্যকো হৈছে।আমাৰবোধেৰে আৱশ্যক ক্ষেত্রত তেনে অর্থ প্রকাশক কিছু ইংৰাজী শব্দও আমাৰ লিপিৰে লিখি ব্যৱহাৰ কৰিব পাৰো। ইংৰাজী ভাষাতো ইতিমধ্যে অর্থপ্রকাশক ভাৰতীয় শব্দ গ্রহণ কৰ অভিধানত স্থান দিছে। তদুপৰি আমাৰ ৰাজ্যৰ বিভিন্ন উপ-ভাষা আৰু আঞ্চলিককথিত ভাষাৰ পৰাও তেনে শব্দ পালে গ্রহণ কৰিব পাৰো। ইতিমধ্যে আমাৰ ভাষাত এনে বহুতো নতুন শব্দৰ প্রয়োগ হৈছেই। পূর্ণাঙ্গ অভিধান এখনত শব্দৰ ব্যুৎপত্তিৰো আৱশ্যক। ইয়াত পুৰণি অসমীয়া ভাষাৰ শব্দৰাজিও পূর্ণ অর্থেৰে সন্নিবিষ্ট হোৱা দৰ্কাৰ। সাহিত্য সভাই এই কাম অতি সোনকালে হাতত লব লাগে।

২/ পূর্ণাঙ্গ ব্যাকৰণ ঃ

প্রত্যেক ভাষাতে পূর্ণাঙ্গ অভিধানৰ যেনে আৱশ্যক, পূর্ণাঙ্গ ব্যাকৰণবো তেনে আৱশ্যক। আমাৰ ভাষাত পূর্ণাঙ্গ পর্য্যায়ৰ আধুনিক ব্যাকৰণ নাই বুলি অনেকে কোৱা শুনো; কিন্তু নাই বুলি সমালোচনা কৰিলে নাইবা অৱসাদগ্রস্ত হৈ বহি থাকিলে একো লাভ নহব। অতি সোনকালে পূর্ণাঙ্গ আধুনিক ব্যাকৰণ এখন লিখা কাম সাহিত্য সভাই লব লাগে। ব্যাকৰণ প্রস্তুত কৰোতে বিশেষভাৱে মন কৰিব লাগিব যে প্রয়োবোৰ ভাৰতীয় ৰাজ্যভাষাৰেই মাতৃ সংস্কৃত ভাষা। সেই কাৰণে মাধ্যমিক পর্য্যায়ত সংস্কৃত ভাষা বাধ্যতামূলকহিচাবে পঢ়ুৱাৰ ব্যৱস্থা আমাৰ ৰাজ্যতো থাকিব লাগে। ভাৰতীয় ঐতিহ্যৰসম্যক জ্ঞান লাভ কৰিবলৈ হলেও সংস্কৃত ভাষা শিকাৰ নিতান্ত প্রয়োজন। এইবোৰ কথালৈ লক্ষ্য ৰাখি অন্যান্য ৰাজ্যভাষাৰ নিচিনা আমিও আমাৰ ভাষাৰ ব্যাকৰণ ৰচনা কৰিব লাগিব যাতে অনর্থক কোনো বিভ্রাটৰ সৃষ্টি নহয়। জোঁটন নাইবা ব্যাকৰণৰ অন্যান্য বিষয়তো একেবাৰে কিবা নতুন এটা কৰিবলৈ গলে নানা বিপর্য্যয়ৰ সম্ভাৱনা আছে। বহুতে আমাৰ বর্ণমালাৰ আখৰৰ সংখ্যাও কমাৰ খোজে; কিন্তু একেটা শব্দ লিখোতে অসমীয়া বেলেগ আৰু সংস্কৃতত বেলেগ বর্ণ ব্যৱহাৰ কৰিলে কি সর্ব্বনাশ হ'ব ভাবি চাওক। বিভক্তি, কাৰক, প্রত্যয়, সমাস আদিৰ ক্ষেত্রতো অনেক ঠাইত তেনে হ'ব। গতিকে এই কথালৈ বিশেষ মন দিহে আমাৰ নিজা ব্যাকৰণ লিখিব লাগিব।

৩/ মৌলিক গ্রন্থ প্রণয়ন আৰু প্রকাশ ঃ

[১] আমাৰ ভাষাৰ অপ্রকাশিত মূল্যবান প্রাচীন পুথিৰ প্রকাশ।

[২] বেদ-উপনিষদ, ৰামায়ণ-মহাভাৰত, পু�ৰাণ-ভাগৱত, গ্রন্থ-চাহেব, কোৰাণ আদিৰ কাহিনী লৈ সৰল ভাষাত লিখা মৌলিক ৰসাল কিতাপ ৰচনা আৰু প্রকাশ।

[৩] সর্ব্বসাধাৰণৰ মনোগ্রাহী শিশু সাহিত্য, বিজ্ঞান সাহিত্য আৰু জন সাহিত্যৰ ৰচনা আৰু প্রকাশ।

[৪] পাহাৰ আৰু ভৈয়ামৰ ডিমাছা, মিকিৰ, মিৰি, বডো, ৰাভা, কছাৰী, চাহমজদুৰ আদিৰ জীৱন বৃত্তান্ত আৰু তেওঁলোকৰ মাজত চলি থকা সাধুকথা আদিৰ সৰল ৰচনা আৰু প্রকাশ।

[৫] নানা বিষয়ক চিন্তাশীল ভাব গধু�ৰ প্রবন্ধ ৰচনা আৰু প্রকাশ

৪/ অনুবাদ সাহিত্য সৃষ্টি ঃ

[১] আমাৰ ভাষাৰ পুৰণি মূল্যবান গ্রন্থ আৰু সর্ব্বভাৰতীয় ভাৰৰ চুটি গল্প, উপন্যাস, কবিতা, নাটক আদি হিন্দী, উৰিয়া আৰু ইংৰাজীলৈ অনুবাদ আৰু প্রকাশ।

[২] উৎকৃষ্ট হিন্দী, উৰিয়া আৰু ইংৰাজী ভাষাৰ কিতাপ অসমীয়ালৈ অনুবাদ আৰু প্রকাশ।

[৩] ইতিমধ্যে বহু বঙলা কিতাপ অসমীয়ালৈ অনুবাদ কৰা হৈছে, ভাল ভাল অসমীয়া কিতাপ বঙলালৈ অনুবাদ আৰু প্রকাশ হৈছে।

৫/ সাহিত্য সভা পত্রিকা আৰু বুলেটিন ঃ

আমাৰ ভাষাত স্থায়ী ভাবগধুৰ আলোচনী এখনৰ অভাব বুলি সকলোৱে কয়। জোনাকী, বাঁহী, আবাহন আদিয়ে সেই অভাব পূৰণ কৰিছিল। সাহিত্য সভাইও নিয়মিতভাৱে ভালদৰে এই কাম কৰিব নোৱাৰা বুলি কোৱা শুনো। বাইজৰ সহায়-

সহযাগ পালে 'সাহিত্য সভা পত্রিকা'খন ভাবগধূৰ পত্রিকা হিচাবে মাহেকীয়াকৈ উলিয়াবলৈ আশা কৰিছোঁ অহা নতুন বছৰৰ পৰা। এই কথাৰ কাৰণে বহুতো বন্ধুৱে আমাক উৎসাহ দি আৱশ্যকমতে সহায়-সহযোগ কৰিব বুলিও প্রতিশ্রুতি দিছে। ইয়াৰ কাৰণে আমাৰ শাখা সভাবোৰে আৰু বিদ্যালয়-মহাবিদ্যালয়বোৰেও সহায় কৰিব বুলি আশা কৰিলোঁ। সাহিত্য সভা পত্রিকাখনত সভাৰ প্রস্তাৱ, কার্য্য বিবৰণী, শাখাৰ উল্লেখযোগ্য কামৰ বিবৰণ থাকিলে পত্রিকাখন অলপ পাতল হোৱাৰ আশংকা। এইবোৰ বিবৰণী সহ বুলেটিন এখন বছৰত দুবাৰকৈ হলেও উলিয়াব পৰা হব বুলি ভবা হৈছে। আমাৰ ভাষাৰ আলোচনী এটা বা দুটা সংখ্যা ওলায়ে মৃত্যুমুখত পৰে -- কচুপাতৰ পানীৰ দৰে। বর্ত্তমানে 'মিনি আলোচনী'ও ওলাইছে। ইয়ে ন লিখাৰুক উৎসাহ প্রদান কৰে আৰু অকণমান আজৰি পৰত আনন্দ বিনোদন কৰে, হলেও সিও পৰীক্ষা-নিৰীক্ষাৰ মাজত চলি আছে। আলোচনীৰ বহুল প্রচাৰৰ বাবে আমি চেষ্টা কৰিবই লাগিব।

৬/ অসমীয়া জাতিৰ ইতিবৃত্ত নির্ম্মাণ ঃ

অসম সাহিত্য সভাই 'অসমীয়া জাতিৰ ইতিবৃত্ত নির্ম্মাণৰ দায়িত্ব লবই লাগিব। সাহিত্য সভা ব্যতিৰেকে অইনৰ কাৰণে এই দায়িত্ব পালন কৰাৰ সুবিধা নহব। কাৰণ ই এজন-দুজনে কৰা কাম নহয়। বর্ত্তমানে অসমৰ বিভিন্ন অঞ্চলত চাৰিশৰ ওপৰ শাখা সভা আছে, অদূৰ ভৱিষ্যতত এই সংখ্যা এহাজাৰ হ'ব বুলি আশা কৰিব পাৰি। প্রত্যেক শাখাৰ সদস্যসকলক এই কামৰ কাৰণে প্রেৰণা দি উৎসাহিত কৰি তুলিব পাৰিলে এনে ইতিবৃত্ত নির্ম্মাণৰ আৱশ্যকীয় সামগ্রী সহজে যোগাৰ কৰিব পৰা হ'ব। অৱশ্যে ইয়াৰ কাৰণে কেইজনমান নিষ্ঠাৱান বলিষ্ঠ নির্ম্মাতাৰ আৱশ্যক হব নিশ্চয়। এই 'নির্ম্মাণ'ৰ প্রধান সামগ্রী হব—

(১) বিভিন্ন অঞ্চলৰ নানা লোকগীত, প্রবচন, ফকৰা-যোজনা, কিংবদন্তি, সাধুকথা আদিৰ সংগ্রহ।

(২) বিভিন্ন ঠাই, নদী, পর্ব্বত আদিৰ নামৰ উৎপত্তি বিবৰণ আৰু তাৰ লগত জড়িত থকা পুৰাবৃত্ত, সেই ঠাইৰ প্রধান উৎপন্ন বস্তু আৰু বনজ, প্রকৃতিজ সম্পদ।

(৩) প্রাচীন কীর্ত্তি-কলাপ, মঠ-মন্দিৰ, সত্র-দেৱালয়, মছজিদ আদিৰ সম্পূর্ণ বিবৰণ।

(৪) বিভিন্ন ঠাইৰ উৎসৱ, আচাৰ-ব্যৱহাৰ, কর্ম্মসংস্থান, খাদ্য, পোছাক আদিৰ বিবৰণ।

(৫) বিভিন্ন দেশসেৱক যেনে -- সাহিত্যিক, শিল্পী, পণ্ডিত, শিক্ষাবিদ, সমাজসেৱক আদিৰ জীৱন বৃত্তান্ত সংগ্রহ।

এইবোৰ সংগ্রহ কৰি বিভিন্ন শাখা সভাই সাহিত্য সভাক যোগাৰ দিলে, সাহিত্য সভাই বিশেষ নির্ম্মাতাৰ সহায়ত খণ্ড খণ্ডকৈ নির্ম্মাণ কৰি প্রকাশ কৰাৰ দিহা কৰিব আৰু কালত ইয়ে পূর্ণতা লাভ কৰি 'অসমীয়া জাতিৰ ইতিবৃত্ত'ৰ ৰূপ পাব।

৭/ পুৰণি সাঁচিপতীয়া পুথি উদ্ধাৰ আৰু বর্ণনামূলক তালিকা প্রস্তুত ঃ

শ্রদ্ধেয় হেমচন্দ্র গোস্বামীদেৱে ১৯২০ চনতেই সভাপতিৰ আসনৰ পৰা অসমত কমেও পাঁচ হাজাৰ পুৰণি সাঁচিপতীয়া পুথি থকা বুলি কৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ে ইতিমধ্যে চাৰি হাজাৰ মান উদ্ধাৰ কৰি তাৰ তালিকা প্রস্তুত কৰা কাম হাতত লৈছে বুলি গম পাইছোঁ; কিন্তু শ্রদ্ধেয় গোস্বামীদেৱৰ নিচিনা বর্ণনামূলক তালিকা কৰিবলৈ লোৱা নাই বুলি কোৱা শুনিছোঁ। আমি আশা কৰো গুৱাহাটী বিশ্বহিদ্যালয়ে গোস্বামীদেৱৰ বর্ণনামূলক তালিকাৰ আৰ্হিত এই কাম সোনকালে সমাধা কৰিব। এই কাম সম্পূর্ণৰূপে সম্পাদন কৰিব পাৰিলে আমাৰ ভাষা জননীৰ মর্য্যাদা সর্ব্বভাৱতীয় দৃষ্টিত বহু ওপৰলৈ যাব। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পূর্ণ মর্য্যাদা লাভ কৰোৱা গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ অন্যতম উদ্দেশ্য। এই ক্ষেত্রত আমাৰ শাখা সভাসমূহে নিজ নিজ অঞ্চলৰ তেনে পুথি সংগ্রহ কৰি নাইবা সেইসকলৰ বর্ণনামূলক তালিকা প্রস্তুত কৰিসাহিত্য সভাক দিলে সাহিত্য সভাই এই কাম হাতত লব পাৰে।

৮/ গ্রন্থাগাৰ ঃ

ন-পুৰণি কোনো অসমীয়া পুথি বিচাৰিনাপালে সাহিত্য সভাৰ ওচৰ চপাটো স্বাভাৱিক গতিকে অসম সাহিত্য সভাৰপর্ণাঙ্গ গ্রন্থাগাৰ এটাৰ নিতান্ত দর্কাৰ। যিমানদূৰ সম্ভৱ প্রকাশিত সকলো অসমীয়া পুথি ইয়াত ৰাখিব লাগে। যিবোৰ পোৱা নাযায় সেইবোৰৰ বর্ণনামূলক তালিকা থাকিব লাগে। সম্ভৱস্থলত পুৰণি সাঁচিপতীয়া পুথিও নাইবা সিবোৰৰ বর্ণনামূলক তালিকা ৰখাৰ প্রয়োজন। বহু লিখকৰ হাতেলিখা পুথি অপ্রকাশিত অৱস্থাতে থাকে,সেইবোৰখৰৰ কালক্রমত নাইকিয়া হৈ যায়। গতিকে শাখা সভাবোৰৰ সহায়ত এনে ধৰণৰ মূল্যৱান পুথিৰ বিৱৰণো সংগ্রহ কৰিব পাৰি। মুঠৰ ওপৰত অসমীয়া ভাষাৰ

আৱশ্যকীয়ে পৰা আজিলৈকে প্ৰকাশিত-অপ্ৰকাশিত পুথিৰ খবৰ এই পুথিভঁৰালত থকাটো বাঞ্ছনীয়। লাহে লাহে এই পুথিভঁৰালৰ কাৰণে আৱশ্যকীয় সকলো ধৰণৰ প্ৰসঙ্গপুথিও ইয়াত ৰখাৰ ব্যৱস্থা কৰিব লাগে। আমি জনাত বঙ্গীয় সাহিত্য পৰিষদৰ পুথিভঁৰাল, কোচবিহাৰ ৰাজকীয় পুথিভঁৰাল, লণ্ডনৰ বৃটিছ মিউজিয়াম আৰু অন্যান্য তেনে পুথিভঁৰালত বহুতো পুৰণি অসমীয়া পুথি আছে। সম্ভৱস্থলত সিবোৰ প্ৰতিলিপি (ফটোষ্টেট্ কপি) নহলে বিবৰণকে আনিব লাগে।

ৰাজহুৱা আৰু গাঁৱলীয়া পুথিভঁৰালৰ উন্নতি নহলে আমাৰ পটুৱৈ সমাজ বাঢ়িব নোৱাৰে। আজি-কালি বহুতো ভাল ভাল গাঁৱলীয়া পুথিভঁৰাল স্থাপিতহৈছে; কিন্তু তাৰ ভাল ৰক্ষণাবেক্ষণৰ দিহা হোৱা নাই। কিছু সংখ্যকক চৰকাৰেসামান্য সাহায্যও কৰে। প্ৰতিখন জিলা আৰু মহকুমাতো ৰাজহুৱা পুথিভঁৰাল স্থাপিত হৈছে; কিন্তু আৱশ্যকীয় সংখ্যক কিতাপ দিব পৰা নাই। আমাৰবোধেৰে আঞ্চলিক ভিত্তিত একোটা ভাল পুথিভঁৰাল স্থাপন কৰি, তাৰ যোগেৰে ভ্ৰাম্যমান পুথিভঁৰাল দ্বাৰা গাঁৱলীয়া পুথিভঁৰালবোৰক পুথিৰ যোগান ধৰিব পাৰি। এইবোৰ কাম নীতিগত আৰু শৃঙ্খলাবদ্ধভাৱে কৰিবৰ কাৰণে অসম পুথিভঁৰাল সংঘৰ তৰফৰ পৰা 'অসম গ্ৰন্থাগাৰ বিধি' প্ৰণয়নৰ বাবে চৰকাৰক অনুৰোধ কৰা হৈছে আৰু ইয়াৰ কাম আগবাঢ়িছে বুলি জনা গৈছে। আশা কৰো সোনকালে এই গ্ৰন্থাগাৰ বিধি চৰকাৰে প্ৰণয়ন কৰি আমাৰ ৰাজ্যৰ গাঁৱলীয়া আৰু ৰাজহুৱা পুথিভঁৰালবোৰৰ উন্নতি বিধান কৰি পটুৱৈ সমাজ গঢ়া কামত সহায় কৰিব।

অনেক পৰ্য্যটক নাইবাপ্ৰত্নতাত্ত্বিকে আহি বিভিন্ন ৰাজ্যৰ বিভিন্ন সময়ৰ কলা-শিল্প অধ্যয়ন কৰিবলৈ বিচাৰে। সেই কাৰণে প্ৰতি ৰাজ্যৰে এনে এটা সংগ্ৰহালয় নিতান্ত প্ৰয়োজন যাতে সেই সংগ্ৰহালয় দেখিলে ৰাজ্যখনৰ ঐতিহ্য সংস্কৃতিৰ বিষয়ে এটি সুন্দৰ আভাস পাব পাৰে। আমাৰ ৰাজ্যত বিভিন্ন গোষ্ঠীৰ সৃষ্টি-সংস্কৃতিৰ পৰিচায়ক নানা বস্তু আছে। সেইবোৰ সংগ্ৰহ কৰিব পাৰিলে এক মহৎ কাম সাধন হয়। বিভিন্ন যুগৰ চিত্ৰকলাৰো সংগ্ৰহ কৰিব পাৰি। ই ভৰিষ্যতে আমাৰ কলা বীথিকা (Artgallery) হব পাৰে। আমাৰ ৰাজ্যিক সংগ্ৰহালয় প্ৰত্নতাত্ত্বিক সম্ভাৰ যথেষ্ট আছে যদিও ওপৰত উল্লেখ কৰা যথাসম্ভৱ সকলো বস্তুৰ সংগ্ৰহেৰে ইয়াক পৰিপূৰ্ণ কৰিবৰ এতিয়াও থল আছে। যি সকল ব্যক্তিৰ অশেষ যত্নৰ ফলত আমাৰ ৰাজ্যিক সংগ্ৰহালয়টিয়েই এই ৰূপ পাইছে সেইসকলৰ শলাগ লৈছোঁ। অদূৰ ভৰিষ্যততে ইয়াৰ সংশ্লিষ্ট লোকসকলৰ চেষ্টাত আৰু চৰকাৰৰ সহায়ত ই পূৰ্ণ ৰূপ লাভ কৰি আমাৰ ৰাজ্যৰ ঐতিহ্যৰ গৌৰৱ বঢ়াব বুলি আশা কৰিলোঁ।

৯/ সাংস্কৃতিক সমন্বয় কেন্দ্ৰ ঃ

আমি আমাৰ পাহাৰ-ভৈয়ামৰ ভাইসকলৰ লগত কথা-বতৰা পাতি যি বুজিছোঁ, আমাৰ মাজত নানা ভুল বুজাবুজি হৈছে নাইবা তেনে হবলৈ ষড়যন্ত্ৰকাৰীসকলে নানা অপচেষ্টা কৰি আছে। আমাৰ মাজত বিশেষ যোগাযোগ নোহোৱা বাবে তেনে কাম সম্ভৱ হৈছে. আনেক ক্ষেত্ৰত আমি সেইসকলক অৱহেলা কৰা বুলি কোৱাও শুনো। আমাৰ এই ভাইসকলে যাতে সৰ্ব্বতোপ্ৰকাৰ উন্নতি সাধন কৰি আগুৱাই আহিব পাৰে, তেনে চেষ্টা কৰাও আমাৰ কৰ্ত্তব্য। বৰ আনন্দৰ কথা এইসকলৰ মাজত আজি আত্মচৈতন্য জাগৰুক হৈ পৰিছে, বলিষ্ঠ নেতৃত্ব দিব পৰা কিছু লোকো সেইসকলৰ মাজৰ পৰা ওলাইছে। গতিকে আমি উপযুক্ত যোগাযোগৰ মাজেৰে ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰি আমাৰ সংহতিৰ ঐতিহ্য ৰক্ষা কৰিব পাৰিবই লাগিব। সেই উদ্দেশ্যেৰে আমি সাহিত্য সভাভৱনক এটা সাংস্কৃতিক সমন্বয়ৰকেন্দ্ৰ কৰিবলৈ ইচ্ছা কৰিছোঁ। তাত যদি আমি বড়ো, ৰাভা, কছাৰী, মিকিৰ, ডিমাছা, লালুং, মণিপুৰী, চাহমজদুৰ আৰু সম্ভৱস্থলত অৰুণাচল, নগাৰাজ্য, মিজোৰাম আৰু মেঘালয়ৰো একো একোটা সৰু বিভাগ খুলি তাত সেই সেই সংস্কৃতিৰ উন্নতিৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা কৰিব পাৰো আৰু মাজে-সময়ে সকলো বিভাগ মিলি আলোচনা কৰাৰ দিহা কৰিব পাৰো, তেনেহলে অদূৰ ভৰিষ্যততে আমাৰমাজত উদ্ভৱ হোৱা অসংহতিৰ বীজ ধ্বংস হৈ পৰিব। এই পদ্ধতিৰে আমাৰ ৰাজ্যত স্থায়ীভাৱে বসবাস কৰি থকা বিভিন্ন গোষ্ঠী সম্প্ৰদায়ৰ লোকৰ পাৰস্পৰিক সহযোগ আৰু সম্মিলনেৰে এই পূৰ্ব্বপ্ৰান্তত এক বিশাল সংস্কৃতিৰ সংস্কৃতিৰ সৃষ্টি হ'ব পাৰে।

১০/ বিভিন্ন ৰাজ্যিক অনুষ্ঠানৰ লগত সংযোগ স্থাপন ঃ

অসমত এতিয়া অসম সাহিত্য সভাৰ বাহিৰেও বহুতো ৰাজ্যিক পৰ্য্যায়ৰ সাংস্কৃতিক অনুষ্ঠান আছে। তাৰ ভিতৰত অসম সাংস্কৃতিক সভা, অসম নাট্য সম্মিলন, অসম সঙ্গীত সম্মিলন, অসম বড়ো সাহিত্য সভা, অসম পুথিভঁৰাল সংঘ, অসম বিজ্ঞান সমিতি, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, অসম প্ৰকাশন পৰিষদ, অসম সাহিত্য একাডেমি, অসম সঙ্গীত নাটক একাডেমি, অসম

ললিত কলা একাডেমি আদিয়ে প্রধান। অসম সাহিত্য সভাৰ উদ্দেশ্যই এই সকলোকে সামৰিব পাৰে। গতিকে আমাৰ বোধেৰে অসম সাহিত্য সভাৰ যোগেৰে এই সকলোৰে সমন্বয় সাধন কৰিব পাৰি আৰু এই আটাইবোৰতে উমৈহতীয়া চেষ্টাত এটা বলিষ্ঠ সংস্কৃতি গঢ়িব পাৰি।

শাস্ত্রীয় সংগীত আৰু নৃত্যত যে অসম চহকী, বৰগীত আৰু সত্রীয়া নৃত্যই সেইটো প্রমাণ কৰে। সুখৰ কথা যে অসমৰ কেইবা গৰাকী লোকে এই বিষয়ে চিন্তা চর্চ্চা কৰিবলৈ লৈছে। আমাৰ ইয়াত এতিয়া কেবাটাও সুন্দৰ ৰঙ্গমঞ্চ আছে তাৰ ভিতৰত নটৰাজ, অসম ষ্টাৰ, পূৰ্ব্বজ্যোতি, সুৰদেৱী আদি ভ্রাম্যমান মঞ্চ। এই মঞ্চকেইটাৰ মান বেছ উন্নত হৈছে, আমি গৌৰৱেৰে প্রকাশ কৰিব পাৰো। ৰঙ্গমঞ্চৰ উন্নতি হলেহে মঞ্চোপযোগী নাট্য-সাহিত্যৰ সৃষ্টি হয় সেইবোৰৰ চাহিদা পূৰণ কৰিব পৰাকৈ। আমি আশা কৰিছো এই ৰঙ্গমঞ্চৰ উন্নতিৰ লগতে, আজিৰ যুগোপযোগী উৎকৃষ্ট নাট্য-সাহিত্য, সৃষ্টি কৰিবলৈ আমাৰ নাট্যকাৰসকল আগুৱাই আহিব। জামুগুৰিৰ শ্রীগজেন বৰুৱাৰ যত্নত স্থাপিত বাৰে চহৰীয়া ভাওনাই বহুতকে আকৃষ্ট কৰিছে। আমাৰ নাটকৰ অৱস্থা এতিয়াও সন্তোষজনক নহয়। একাঙ্কিকা নাটৰ সমাদৰ বাঢ়িলেও একাঙ্কিকাই পূর্ণ নাটকৰ পূর্ণ মর্য্যাদা অক্ষুন্ন ৰাখিব নোৱাৰে; ৰাখিব পৰাটোও সম্ভৱ নহয়। যিহেতু তাৰ পৰিসৰ বৰ কম। বহুক্ষেত্রত উপযুক্ত অসমীয়া নাটকৰ অভাৱত অন্য ভাৰতীয় ভাষাৰ পৰা অনুবাদ কৰিও নাটক অভিনয় কৰা দেখা গৈছে। এই ক্ষেত্রত অসমৰ ভ্রাম্যমান থিয়েটাৰ দলসমূহে অভিনয় কৰা প্রায়বোৰ নাটকৰ কথা উল্লেখ কৰিব পাৰি। কুৰি শতিকাৰ আজি অষ্টম দশকতো অসমীয়া নাটকৰ এনে দৈন্য হোৱাটো দুখৰ কথা। নবীন নাট্যকাৰসকলে একাঙ্কিকা লিখাৰ উপৰিও গহীন পূর্ণাঙ্গ নাটক লিখাৰ কাৰণে মনোনিবেশ কৰিব বুলি আশা কৰিলো।

১১/ অসমীয়া ভাষাজ্ঞান পৰীক্ষাৰ সংস্কাৰ আৰু প্রসাৰ ঃ

অসম সাহিত্য সভাই 'অসমীয়া ভাষাজ্ঞান' বুলি দুটা পৰীক্ষা চলাই আহিছে। এই পৰীক্ষাৰ সংস্কাৰ কৰি তিনিটা পৰীক্ষা কৰিব লাগে, প্রথম, দ্বিতীয় আৰু উপাধি। অসম ৰাষ্ট্র ভাষা প্রচাৰ সমিতিয়ে চলোৱা হিন্দী পৰীক্ষাৰ আৰ্হিত এই পৰীক্ষাৰ সংস্কাৰ কৰিব পাৰি। এই পৰীক্ষাৰ কাৰণেও আৱশ্যকীয় বিধি আৰু পাঠ্য-পুথি আদিৰ দিহা কৰি চৰকাৰৰ পৰা স্বীকৃতি লব লাগে। যাতে তৃতীয় উপাধি পৰীক্ষা পাচ কৰিলে তেওঁক অসমীয়াত বি, এ, পর্য্যায়ৰবুলি ধৰা হয়। যিসকল উচ্চ পর্য্যায়ৰবিষয়াৰ মাতৃভাষা অসমীয়া নহয়, তেওঁলোকক এই উপাধি পৰীক্ষা পাচ কৰটো বাধ্যতামূলক বুলি ধৰিব লাগে। সেইদৰে বিভিন্ন পর্য্যায়ৰ চৰকাৰী-বেচৰকাৰী চাকৰিয়ালসকলক আৱশ্যকীয় পর্য্যায়ৰ পৰীক্ষা পাচ কৰিবলৈ নির্দ্দেশ দিব লাগে। আনহাতে মাতৃভাষা অসমীয়া নোহোৱা যিসকল লোক আমাৰ ইয়াত আছে সেই সকলোৱে যাতে অসমীয়া পঢ়ে আৰু পৰীক্ষা পাচ কৰি তাঁলৈ উৎসাহ দি অনুকূল বাতাবৰণৰ সৃষ্টি কৰিব লাগে। ঠায়ে ঠায়ে বিশেষকৈ ডাঙৰ ডাঙৰ নগৰবোৰত আৰু কাছাৰত অসমীয়া পঢ়োৱা কেন্দ্র স্থাপন কৰিব লাগে। বৰ আনন্দৰ কথা আমি জনামতে এইবাৰ কাছাৰ জিলাত অসমীয়া ভাষাজ্ঞান পৰীক্ষার্থীৰ সংখ্যা পাঁচশবো ওপৰ হৈছে। মুঠতে যিবোৰ অনুষ্ঠানত বা অঞ্চলত বাহিৰৰ পৰা অহা লোকৰ সংখ্যা অধিক নাইবা অসমীয়া নজনা মানুহৰ সংখ্যা অধিক, সেইবোৰ ঠাইত ইয়াৰ বেছি প্রচাৰ হ'ব লাগে।

ছপাশাল ঃ

কোনো কোনো মহলৰ পৰা সাহিত্য সভাক ছপাশাল এটি লোৱাৰ পৰামর্শও আগবঢ়াইছে; কিন্তু আমাৰ অভিজ্ঞতাৰ পৰা যি বুজিছো সাহিত্য সভাই আৱশ্যকীয় সকলো সামগ্রীৰে উপযুক্ত ছপাশাল এটা পাতি তাক পৰিচালনা কৰা বৰ সহজ নহব। বিশেষকৈ কিতাপ ছপাই উলিয়াব পৰা ছপাশাল এটা ভালদৰে চলাবলৈ হলে ভাল প্রশিক্ষণ লোৱা উপযুক্ত লোক লাগিব, ব্যৱসায়িক দৃষ্টিভঙ্গীৰে চলাব নোৱাৰিলে তাৰ পৰা সুফল পোৱা টান। গতিকে এই ক্ষেত্রত আমাৰ পৰামর্শ হৈছে আমাৰ ৰাজ্যৰ আমাৰ চাহিদা পূৰণ কৰিব পৰা কেইটামান উপযুক্ত ছপাশালক পূর্ণপর্য্যায়ৰ ছপাশাললৈ উন্নীত হবলৈ উৎসাহ দিব লাগে আৰু আৱশ্যকীয় ঋণ আদি দি সহায় কৰিবলৈ চৰকাৰক পৰামর্শ দিব লাগে। কিতাপ প্রস্তুত কৰি তাৰ প্রকাশৰ বাবে প্রকাশক উলিয়াব পাৰিলে ছপাশাল নোহোৱাৰ কাৰণে সিমান অসুবিধা নহব।

১২/ প্রচাৰ আৰু সংগঠন ঃ

প্রচাৰ আৰু সংগঠন নহলে এটা জাতিয়ে পূর্ণবিকাশ লাভ কৰিব নোৱাৰে। সমস্যাবহুল অসমৰ কথা আৰু সুকীয়া।

আমাৰ ৰাজ্যৰ বিভিন্ন স্থানত বিভিন্ন প্ৰতিক্ৰিয়াশীল শক্তিয়ে আমাৰ স্বাৰ্থৰ বিৰুদ্ধে নানা কাম কৰি আছে। এইবোৰ চাবৰ কাৰণেও আমাক এদল নিস্বাৰ্থ দেশসেৱক লাগে। শিক্ষিত যুৱশক্তিৰ প্ৰাণত প্ৰকাশৰ প্ৰেৰণা জন্মাব পাৰিলে নিশ্চয় তেনে কিছু সেৱক ওলাব। স্বয়ং প্ৰকাশ ভগৱানৰ অংশ মানুহো প্ৰকাশশীল। প্ৰতিভাশালী লোকে যি কোনো উপায়েই নিজক প্ৰকাশ কৰিবলৈ বিচাৰে। এনেকুৱা এদল লোকৰ সৃষ্টি কৰিব পাৰিলেই দেশৰ বহু সংগঠনমূলক কামেই সম্ভৱ হৈ উঠিব আৰু এইসকলৰ মাজৰ পৰায়ে একশ্ৰেণী নিস্বাৰ্থ নেতাও ওলোৱাৰ সম্ভাৱনা নিশ্চয় আছে।

এই প্ৰচাৰক আৰু সংগঠকসকলে নিজ নিজ নিৰ্দ্দিষ্ট এলেকাত থকা শাখা সভাবিলাক জীৱিত আৰু সক্ৰিয় কৰি ৰাখি সাহিত্য সভাই কৰিবলৈ দিয়া কামবোৰ কৰাব। নিজৰ নিজৰ অঞ্চলবোৰত, জনসমাজৰ মাজত সাহিত্য সভাৰ গৌৰৱ বিস্তাৰ কৰিব আৰু বলিষ্ঠ পঢ়ুৱৈ সমাজ তৈয়াৰ কৰিবলৈ সকলোপ্ৰকাৰে যত্ন লব। কাৰণ আমাৰ পঢ়ুৱৈ সমাজ বৰ দুৰ্ব্বল। আজি-কালি গাৱঁলয়া ঠাইতো বহু পুথিভঁৰাল হৈছে, সেইবোৰৰ উন্নতিবিধান কৰিও মানুহৰ মনত পঢ়াৰ ধাউতি জন্মাব পাৰি। এই প্ৰচাৰকসকলে অসম সাহিত্য সভাৰ পত্ৰিকা আৰু প্ৰকাশিত গ্ৰন্থ বিক্ৰী কৰিব। পাহাৰ আৰু ভৈয়ামৰ ভাইসকলৰ মাজত থাকি তেওঁলোকৰ লগত মিলিজুলি ভাবৰ আদান-প্ৰদান কৰিব, তেওঁলোকৰ উপভাষা শিকিব আৰু ঘনিষ্ঠ যোগাযোগ কৰি আমাৰ মাজত থকা মিলা-প্ৰীতিৰ বান্ধোন যাতে সুদৃঢ় হয় তাৰ কাৰণে যত্ন কৰিব।

এওঁলোকৰ নিজৰ ভৰণ-পোষণৰ কাৰণে আৰু পাথেয় খৰচৰ কাৰণে কিছু পইচা দিবও লাগিব, সাহিত্য সভা পত্ৰিকা আৰু পুথি বিক্ৰী কৰিও কমিচন হিচাবে কিছু পাব। মুঠতে নিজে খাই বৈ থাকিব পাৰিব লাগিব; কিন্তু ইয়াক চাকৰি বুলি ভাবিব নালাগিব।

আৱশ্যকীয় ধন ভাণ্ডাৰ সংগ্ৰহ ঃ

ওপৰৰ বাৰদফীয়া আঁচনি কাৰ্য্যত পৰিণত কৰিবলৈ সাহিত্য সভাক যথেষ্ট ধনৰ প্ৰয়োজন হ'ব. অসম চৰকাৰৰ পৰা বৰ্ত্তমানে সাহিত্য সভাই যি অনুদান পাই আছে, তাৰে এই আঁচনিবোৰ কাৰ্য্যত পৰিণত কৰা সম্ভৱ নহ'ব। অৱশ্যে আমি আশা কৰিছো আমাৰ এই আঁচনিবোৰ সম্পূৰ্ণৰূপে প্ৰস্তুত কৰি চৰকাৰৰ ওচৰত আবেদন কৰিলে জাতীয় স্বাৰ্থৰ কাৰণে জাতীয় চৰকাৰ নিশ্চয় আগুৱাই আহিব। কোনো কোনো আঁচনিৰ কাৰণে হয়তো কেন্দ্ৰীয় চৰকাৰৰো ওচৰ চাপিব পাৰো।

কিন্তু অকল চৰকাৰৰ সাহায্যেৰে এই কাম কৰিব পৰা নহব। মই আশা কৰিছো এই কামৰ কাৰণে আমাৰ ৰাইজেও মুক্তহস্তে দান-বৰঙণি আগবঢ়াব, আমি তাৰ কাৰণে ৰাইজৰ ওচৰত কৰযোৰে হাত পাতিম। যদি সঁচাকৈ এই কামবোৰ কৰি আমাৰ ৰাজ্যৰ গৌৰৱ ৰক্ষা কৰিব খোজো, তেনেহলে অতি কমেও ৩/৪ লাখ টকাৰ পুঁজি কৰিবই লাগিব। আমি তাৰ কাৰণেও আঁচনি কৰিছো। সেই আঁচনি মতে সাধাৰণ সভ্য সখ্যা বঢ়াই কমেও একলাখ কৰিব লাগিব, আজীৱন সভ্য সংখ্যা আৰু এহাজাৰ কৰিব লাগিব আৰু পাঁচ হাজাৰ দানৰ টকাৰ ওপৰত পৃষ্ঠপোষকৰ সংখ্যাও দুশ মান কৰিব লাগিব আৰু সৰ্ব্বসাধাৰণৰ পৰা যথাশক্তি দান ৰৰঙণি লৈও কিছু অৰ্থ সংগ্ৰহ কৰিব লাগিব। চৰকাৰে বাৰজন সাহিত্যিকক স্বীকৃতি দি আজীৱন পেন্সন দিয়াত আনন্দ পাইছো। বাকী যোগ্যসকলেও স্বীকৃতি পাব বুলি আশা কৰিলো। পূৰ্ব্বঘোষিত গোহাঞি বৰুৱা বঁটাও হয়তো সোনকালে দিব।

আমি আশা কৰিছো ৰাইজৰ আৰু চৰকাৰৰ পূৰ্ণ সহযোগত আমাৰ আৱশ্যকীয় ধন সংগ্ৰহ হব আৰু আমি ৰাইজৰ আশীৰ্ব্বাদ মূৰত লৈ কামত আগবাঢ়িব পাৰিম।

বন্ধুসকল, আৰু বেছি সময় মই আপোনালোকক আমনি দিব খোজা নাই। অতপৰে মই আপোনালোকৰ আগত কেইটামান মৌলিক কথা দাঙি ধৰিবলৈ চেষ্টা কৰি আছিলো; আমাৰ জাতীয় জীৱনৰ অতিশয় সংকটময় বৰ্ত্তমানৰ অৱস্থাটোৰ প্ৰতি আপোনাসৱৰ মনোযোগ আকৰ্ষণ কৰি, জাতীয় জীৱনৰ চৈতন্য উদ্বুদ্ধ কৰাৰ পথ বিচৰাৰ প্ৰয়াস কৰিছিলো। সংকটাপন্ন অৱস্থাত ব্যক্তিগত জীৱনত যেনেকৈ নৈৰাশ্য, অস্থিৰতা আৰু দুৰ্ব্বলতা আহি পৰে; তেনেকৈয়ে সদৃশ অৱস্থাত জাতীয় জীৱনতো নৈৰাশ্য আৰু দুৰ্ব্বলতা জন্মে তেনেকুৱা নিঃসহায় অৱস্থাত সাহস, শক্তি আৰু উদ্যম আনি দিয়ে অতীতৰ অগাধ প্ৰাচুৰ্য্য আৰু গৰিমা সম্ভাৰে। যিবিলাক শক্তিয়ে আজি আমাৰ প্ৰাণত সঞ্চাৰ কৰিব আশা-আকাঙ্খা আৰু উদ্যম, তাৰ ভিতৰত আমাৰ উজ্জ্বল ঐতিহ্য অন্যতম। সেয়ে আজি সেই মহান অতীতক সুঁৱৰি নিজৰ মনত আৰু প্ৰাণত শক্তি পাবলৈ বিচাৰিছো।

প্রগতিশীল জাতি এটাৰ জীৱনত দুৰ্যোগ, সংকট আৰু নানা ধৰণৰ সংঘাত আহি পৰাটো অস্বাভাৱিক একো নহয়। যুগে যুগে পৃথিৱীৰ সমস্ত জাতিয়েই নানা সংকটৰ সন্মুখীন হৈছে আৰু সেই সংকটাপন্ন অৱস্থাৰ মাজতেই ফুটি উঠিছে তেওঁলোকৰ শক্তি, ধৈর্য্য, বুদ্ধিমত্তা, আত্মচেতনা আৰু দেশাত্মবোধ। আমাৰ দেশ ভাৰতবর্ষতো যুগে যুগে অধর্ম্মৰ অভ্যুত্থান হৈয়ে আছে আৰু যুগে যুগে হাজাৰ হাজাৰ নৰ-নাৰীয়ে আনকি আত্মবলি দিও অধর্ম্মক পৰাজয় কৰি আহিছে। সেয়ে আমাৰ অতীত গৌৰৱ। আমাৰ প্রকৃতিৰ দান, প্রাকৃতিক ঐশ্বর্য্য আৰু সম্পদ হ'ল আমাৰ ভাগ্যৰ কথা -- গৌৰৱৰ নহয়। আমি গৌৰৱ কৰিব পাৰোঁ আমাৰ নিজৰ শক্তি, বুদ্ধি আৰু পৰকাষ্ঠাক লৈ, আমাৰ দেশাত্মবোধক লৈ আমাৰ স্বার্থত্যাগক লৈ। আমাৰ অসম দেশৰ ক্ষেত্রতো সেই একে কথা। আমি এমুঠি মানুহে ইয়াত বাস কৰো। নানা ঠাইৰ পৰা সভ্যতা-কৃষ্টিৰ ৰহণ লৈ, বিভিন্ন সময়ত এইখন দেশলৈ মানুহ আহিল আৰু আজিও আহি আছে। এই আটাইবোৰ মানুহ মিলি, আটাইবোৰ সভ্যতাৰ ৰহণ সানি, আটাইবোৰ ভাষা-কৃষ্টিৰ মাধুৰিমা সাৰটি লৈ আমি এইখন দেশত বাস কৰো -- যিখন দেশ আমাৰ মনোৰমা আমাৰ বাবে পয়াভৰা।

যি পথেৰে আজি হাজাৰ বছৰ আগেয়ে, অথবা মাত্র এশ বছৰ আগেয়ে, আমি নানাভাৱে পর্য্যটন কৰি এই মাটি পালোহি, সেই পথ অতি প্রাচীন, অতি দূৰ, আমাৰ বাবে সি নিশ্চিহ্ন হৈ গৈছে। সেই পথৰ কথা ভাবি আজি আৰু দুখ, সন্তাপ কৰাৰ অর্থ নাই, হেতু নাই। আমাৰ আগত যি আছে, সেই মাটি আমাৰ মাটি। সেই মাটিৰ সমস্ত ধন আমাৰ, সেই মাটিৰ ৰস আমাৰ, সেই মাটিৰ গোন্ধ আমাৰ। সেই মাটিয়ে আমাক জীয়াই ৰাখিছে, সেই মাটি আমাৰ আশ্রয়। আমি আজি সেই মাটিৰেই বন্দনা কৰিম। এইখন দেশৰ -- এই মাটিৰ যদি ধ্বংস হয়, তেন্তে ধ্বংস হম আমি -- ধ্বংস হ'ব আমাৰেই সতি-সন্ততি। আৰু যদি আমাৰ এই দেশখন সমৃদ্ধ হয়, তেনে সমৃদ্ধ হ'ম আমি, সমৃদ্ধি হব আমাৰ সতি-সন্ততি।

অথচ সমৃদ্ধিসম্ভৰা দেশখন আমাৰ আগতেই পৰি আছে। আমাৰ শক্তিবোৰ যিমানে পৰস্পৰ আত্মঘাতী হব, সিমানে সম্পদবোৰ আমাৰ পৰা আঁতৰি যাব আৰু যিমানে আমাৰ শক্তিবোৰ পৰস্পৰ মিলিত হব, সিমানে আমাৰ সম্পদবোৰ আমাৰ কৰায়ত্ব হব। আমাৰ ভিতৰতে নানা ৰকমৰ বৈষম্য আছে। বৈষম্য আছে বুলিয়েই আমি অসম। বৈষম্য আমাৰ দুর্ব্বলতা নহয়, সিয়েই আমাৰ শক্তিৰ উৎস।

আমি মিলিত হলে আমাৰ পৰাজয় নাই। মিলিত হলে আমি মহান, আমি শক্তিমান। প্রগাঢ় নিষ্ঠাৰে যদি আমি দেশখনক ভাল পাওঁ, তেনে আমাৰ ক্ষুদ্রতা দূৰ হব আৰু আমাৰ দেশৰ ভৱিষ্যত উজ্জ্বল হৈ উঠিব। আজি এই শুভ মুহূর্ত্তত মই প্রার্থনা কৰিছোঁ, আমাৰ সহৃদয় মিলন হওক, আমাৰ মনৰ ক্ষুদ্রতা আঁতৰ হওক, আমাৰ দেশ জয়ী আৰু সমৃদ্ধ হওক, আমাৰ ভাষা জনীৰ জয় আৰু সমৃদ্ধি হওক, আমি এটা সমুজ্জ্বল ভৱিষ্যতৰ অর্থে আত্মত্যাগ কৰি নিজে ধন্য হওঁ।

ওঁ সহ নাৱৱতু সহ নৌ ভুনক্তু সহ ৱীর্যং কৰৱাৱহৈ।
তেজস্বি নাৱধীতমস্তু মা ৱিদ্ৱিষাৱহৈ ।।
সর্ৱে ভৱন্তু সুখিনং সর্ৱে সন্তু নিৰাময়াঃ
সর্ৱে ভদ্রাণি পশ্যন্তু মা কশ্চিদ্দঃখ ভাগ্ভৱেৎ ।।
ওঁ শান্তিঃ, শান্তিঃ শান্তিঃ ।।

-- ❋ --

একচত্বাৰিশ সম্মিলন

মঙলদৈ, ১৯৭৪ খ্ৰীঃ

ড° মহেশ্বৰ নেওগ

আদৰণী সমিতিৰ সভাপতি দেৱতা, প্ৰতিনিধিসকল, ৰাইজ, অসম সহিত্য সভা আমাৰ জাতীয় অনুষ্ঠান, আমাৰ সেৱাৰ থলী। সেইহেন মহৎ অনুষ্ঠানৰ সভাপতিৰ পদটি শ্ৰেষ্ঠ জাতীয় সম্মানৰ এটি পদ। প্ৰকৃত-পক্ষে, অসমৰ প্ৰজ্ঞাঘৰে দিব পৰা পদবিৰ ভিতৰত এইটিৰ তুলনা নাই। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, মফিজুদ্দিন আহমেদ হাজৰিকা, কমলাকান্ত ভট্টাচাৰ্য, কনকলাল বৰুৱা, হেমচন্দ্ৰ গোস্বামী, বিশ্ববিশ্ৰুত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ, ডক্টৰ সূৰ্যকুমাৰ ভূঞা, সৰ্বজনৰ ফুকন ককা, সভাক এটি অপূৰ্ব আনুষ্ঠানিক গীত দিয়া মোৰ শিক্ষক মিত্ৰদেৱ মহন্ত, এই নিচলাৰে অগ্ৰজ ডিম্বেশ্বৰ নেওগ আদি পুণ্যশ্লোক সাহিত্য-গুৰুসকলে অলংকৃত কৰি এই আসনক অতুল মৰ্যাদা দিছে। যিসকলে জীৱনজোৰা সাধনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে, এই জাতীয় সম্মান সিসকলৰহে প্ৰাপ্য। তেনেস্থলত এই অপাত্ৰকযে আপোনালোকে পাত্ৰ ক'বি লৈ আহিল, সেইটি আপোনালোকৰ দুৰ্বুদ্ধি বুলিয়ে ক'ম, নে যি 'অন্ধগুণ কৰয় বিস্তাৰ' আপোনালোকক তেনে উত্তম অথবা 'শূৰ্পৱৎ দোষমুৎসৃজ্য গুণং গৃহ্ণন্তি' কৰা 'সাধৱঃ' - অকে বুলিম? সাহিত্য-সৃষ্টি কৰাৰ লেখীয়া মই কি এনে জগৰ কৰিলোঁ যে আগৰ এগৰাকী সভাপতিয়ে ক'ৰৰ দৰে আপোনালোকে মোক, কিলাই বেজ কৰিবলৈ লৈ আহিব লাগে!! তথাপি যেতিয়া আনিলেই, এই আসনখনিক, অসম সাহিত্য সভাক সমৰেত, এই বিৰাট জনতাক বন্দনা কৰি আপোনালোকে 'উদ্বাহুৰিব ৱামনঃ' এই অপাত্ৰত অৰ্পণ কৰা সম্মান হিয়ালৈ তুলি ল'লোঁ। মোতকৈ যোগ্যতৰ লোক জৰুৰ আছে; কিন্তু আৰৈতকৈ উখুৰাৰ খচ্-খচনি সৱহ বা ফুলছ ৰাংশ্ ইন্ হেৱ্ৰ এঞ্জেলছ ফিএৰ টু ট্ৰেড্ -- এনে প্ৰৱচনৰ নমুনাওতো আপোনালোকক লাগে। তাতে আশ্বাস ৰাখি মই আপোনালোকৰ সভাপতি হ'লোঁ। 'পাণ পাৰিবলৈ মৈটা নালাগে, আপুনি পকি সৰিব'ৰ নিচিনা এই জাতীয় সম্মানৰ বাবে হামৰাও কাঢ়ি বাটকুৰি যোৱাৰ গল্পও আমি শুনিছোঁ। ৰণলৈ নে ভোজলৈ, আপোনালোকে জানে। যদিহে ৰণুৱা কৰি আনিছে, তেতিয়া হ'লে আদেশ কৰক, মোৰ নিশকতীয়া কাৰ্ফাইৰ পৰা কেনি কেইপাট কাঁড় মাৰিব লাগে। যদি ভোজহে, পাত পাৰক, চাৰিটামান ধৰি তাতে বীৰত্ব প্ৰকাশ কৰিব লাগিব; কিন্তু, আপোনালোকে এই অধীনক যেনেকৈয়ে কামত খটুৱাওক লাগিলে, মোৰ এটি মাত্ৰ মিনতি -- অসম সাহিত্য-সভাক আপোনালোকে বিকৰুৱা নকৰিব, এই অনুষ্ঠানক অসম কৰি ৰাখক, সাহিত্য সভা কৰি ৰাখক। তেতিয়া হ'লেহে এই প্ৰতিষ্ঠানে নিজৰ ওপৰত ন্যস্ত দায়িত্ব পালন কৰি দেশৰ প্ৰয়োজন সাধিব পাৰিব।

সাহিত্য সভাৰ চৰম ভূমিকা :

মই এই কথা কোৱা বাবে আপোনালোকে দায় নধৰিব, কাৰণ কিছু দিনৰপৰা সাহিত্য সভাৰ ভূমিকা সম্পৰ্কে সকলোৱে বিশেষকৈ সাহিত্যিকসকলৰ ধাৰণা ধুঁৱলি-কুঁৱলী হৈ পৰিছে। আমাৰ এগৰাকী আগশাৰীৰ কবিয়ে সাহিত্যসভাৰ মজিয়াতে কৈ পেলাইছিল, এইখন প্ৰাক্তন সাহিত্যিকসকলৰ অনুষ্ঠান। কোনোৱে ইমান পৰ্যন্ত ক'বলৈ বাকী ৰখা নাই, ই অসাহিত্যিকসহে সম্পত্তি হৈ পৰিছে আৰু সেই ছবি সভাৰ নিৰ্বাচন আদিত প্ৰতিফলিত হ'বলৈকে ধৰিছে, কাৰণ শ্ৰেষ্ঠ সাহিত্যিকৰ যোগ্য আসনত

সাহিত্য বুৰঞ্জীৰ পাদটীকাত বৰ্জইছ হৰফেৰে নাম নুঠা লোককো বোলে বহুওৱা হৈছে। আকৌ মুখে মুখে এটা মাথোন কথা- সাহিত্য সভা মেলামুখী হ'ল। মেলা-মুখী বোলোঁতে সভাক নিন্দা কৰা হয় নে প্ৰশংসা কৰা হয়? হাজাৰ হাজাৰৰ এক জনতাই সভাত আধুনিক কবিতা পাঠ কৰালৈ যেতিয়া কাণ দি থাকে, তেতিয়া ভাৰ হয়, কবিতা বস্তুটিয়েই জনতাৰ উপলব্ধিৰ বস্তু হ'ল আৰু সাহিত্য সভাও জনতামুখী হ'ল। কিন্তু, ৰ'ব। বিদগ্ধজন-গাহ্য কবিতাৰ উপলব্ধি ইমান সহজনে? আৰু জনতাৰ জীৱনৰ লগত আমাৰ সাহিত্য আৰু সভাইবা কিমান ঘন সম্বন্ধেৰে সম্বন্ধিত হৈছে? সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যাব যে এই সম্বন্ধ কোনো পক্ষই গহীনকৈ লোৱা নাই। আমাৰ কবি-সন্মিলন এদিনৰ মাথোন। তাৰ কালি আৰু কাইলৈ নাই। আমাৰ কবিতাৰ পুথিকেইখনেইবা বিক্ৰী হয়? অৱশ্যে সাহিত্য সভায়ে কবিতাক জনতাৰ মাজলৈ আনি তাক জনতাৰ উপলব্ধিৰ সীমাৰ ভিতৰত সুমুৱাই দিব লাগিব।

আমাৰ সেৱাৰ থলী সাহিত্য সভাৰ বদনামৰ কথা ক'লো; কিন্তু সদনাম জানো আমাৰ হ'ব নালাগে? সাহিত্য-সভাৰ নামত বৰ কাৰ্যকৰীভাৱে নহ'লেও বছৰি সন্মিলনত বিপুল জন-সমাৱেশ হয় আৰু খন্তেকীয়া উষ্মাই বোলক বা যিয়েই বোলক, এটা অসমীয়া অসমীয়া ভাৱ চা�ৰিওফালে সিঁচৰি হৈ পৰে ! তাৰ পিছত ক'ৰ কোন কেনি গ'ল, চিন-স্মৃতি পমি গ'ল। এই নৈমিত্তিক অসমীয়া অসমীয়া ভাৱটো যদি নিত্য হ'লহেঁতেন আৰু কাৰ্যতঃ অসমীয়া নামক সাৰ্থক কৰিব পৰা হ'লহেঁতেনও তেতিয়া হ'লেহে এই বিৰাট জন-সমাৱেশৰ এক স্থায়ী ফল ৰৈ গ'লহেঁতেন। তদুপৰি সেই ফালে যদি সাহিত্যিক ৰূপ পৰিগ্ৰহ নকৰে, তেতিয়া সাহিত্য সভাও মাত্ৰ ৰায়ত সভাৰ ৰূপতে ৰৈ যায়। অসম সাহিত্য সভাই যিমানে যি নকৰক, সাহিত্য সভাৰূপেই কৰিব লাগিব। ৰাজনৈতিক অনুষ্ঠানতকৈও সাহিত্য সভা মহৎ, কাৰণ মানৱতাবোধ আৰু চিৰন্তন মূল্যবোধ সাহিত্যৰ কাম্য। ৰাজনৈতিক বলিৰ পৰিৱৰ্তন ঘটি থাকে; কিন্তু সাহিত্যৰ স্থায়ী বাণী নাথাকিলে সেই সাহিত্য সাৰ্থক নহয়। সাহিত্য-সন্মিলনবোৰত কম মূল্যত বহুত কিতাপ বিক্ৰী হয়। ভাল কথা। সাহিত্য আৰু পাঠকৰ মাজত এই সম্বন্ধটো যদি প্ৰতিখন সন্মিলনে গাঢ় আৰু বহল কৰিব পাৰে, তেতিয়া হ'লেও সন্মিলনে সাহিত্যৰ প্ৰয়োজন সাধিছে বুলি ক'ম। বৰ্তমান অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি-সাধনৰ বাবে এই এটা কথাৰে প্ৰয়োজন অতীৱ হাজাৰ-লাখৰ হিচাপত অসমীয়া কিতাপ বিক্ৰী হ'ব লাগে!

সাহিত্য সভাৰ তিনিশমানেই শাখা সভাই আছে। অভিযোগ আছে — এই বিলাক সাহিত্যিকৰ সভা নহয়। তাৰ বাবে মই হ'লে আক্ষেপ নকৰোঁ। এইবিলাক সভাৰ প্ৰয়োবোৰেই কোনো সাহিত্য উৎপন্ন নকৰে। তাকৈলেও মই দুখ নকৰোঁ; কিন্তু শাখা-সভাসমূহে আৰু সদস্যবৃন্দই এটা কাম নিষ্ঠাৰে কৰিলে নিজৰ অস্তিত্ব সাৰ্থক কৰিব পাৰিব—সৎ সাহিত্যৰ প্ৰতি যদি গাঁৰে-ভূঞে ৰুচি বিস্তাৰ কৰি কিতাপ কিনাৰ প্ৰতি সকলোৰে আগ্ৰহ সৃষ্টি কৰিব পাৰে। নহ'লে শাখা সভাৰ স্থায়ী এটিয়েই মাথো সাহিত্য কৰ্ম ৰৈ যায় — বছেৰেকত এবাৰকৈ এজন সভাপতি নিৰ্বাচন কৰা। সেই কামটিও সিসকলে ভাৰকৈ সম্পন্ন কৰা বুলি ক'ব নোৱাৰি — নহ'লেনো এই অভাজনক ভাজন কৰি সাহিত্যৰথীসকলৰ আসনত বহুৱায়নে? শাখা-সভা আৰু সদস্যসকলৰ অসমীয়া ভাষাৰ প্ৰতি আনুগত্য আৰু প্ৰেম মই অস্বীকাৰ নকৰোঁ; কিন্তু সেই প্ৰেম আৰু আনুগত্য কামত নলগা অনুভূতি নহৈ চিন্তাৰ নিয়াৰিত গঢ়া-পিতা স্বাস্থ্যৱন্ত কৰ্ম-প্ৰৱণতাত পৰিণত হ'ব লাগিব। তেহে তাৰপৰা দেশৰ কল্যাণ সাধিত হ'ব। আপোনালোকে কওকচোন, সাহিত্য সভাৰ দৰে এটি অনুষ্ঠানক কিয় এডোলেছেন্সৰপৰা যৌৱনলৈ আগবাঢ়িবলৈ নিদিয়ে?

সাহিত্য সভাৰ বিৰুদ্ধে এটা ডাঙৰ অভিযোগ — যি সকলৰ সৃষ্টিশীল সাহিত্যিকে অসমীয়া সাহিত্যৰ জীৱন্ত বুৰঞ্জী নিৰ্মাণ কৰিব লাগিছে, সেইসকলক সভাৰ গঠনৰ মাজলৈ টানি আনি লোৱা নাই, গতিকে অসম সাহিত্য সভা নামটোৱেই অসাৰ্থক হৈছে। কেতিয়াবা-কাচিৎ সিসকলক আলহী মাতি অনাটো সুকীয়া কথা; কিন্তু সাহিত্য সভাৰ বুৰঞ্জী সদায় তেনে নাছিল। অন্ততঃ যুদ্ধৰ আগলৈকে সাহিত্য সভাৰ মাজ-মজিয়াত আছিল সাহিত্যিকসকল আৰু তেওঁলোকক আৱৰি ধৰিছিল সাহিত্য-প্ৰেমীসকলে। এতিয়া কিন্তু বহির্বৃত্তটোৱে অন্তর্বৃত্তক ধৃতৰাষ্ট্ৰই লৌহ-ভীমক সাবটিধৰাৰ দৰে সাবটি ধৰিছে। তাৰ ফলত লাখটকা ভাঙি কৰা সাহিত্য সন্মিলনত সাহিত্য আলোচনা নহয়। প্ৰতিনিধিসকলে যি আলোচনা কৰে, সি সাহিত্যৰ বাহিৰে আন পদাৰ্থ। যদি সিসকলে জনাই-নজনায়ো সাহিত্য-সংস্কৃতিবচুক-কাণ মাৰি কোনো প্ৰসংগ আলোচনা কৰিলেহেঁতেন, তেতিয়াও সভাৰ নাম সাৰ্থক হ'লহেঁতেন। সভাখনিক সেই গঢ়লৈ নিব পাৰিলে এটি আদৰ্শ কাম হয় আৰু তাৰদ্বাৰা ফাগুনৰ বতাহত

সৰাপাত ঢপলিয়াই পলোৱাৰ দৰে ওপৰত লেখ দিয়া সভাৰ অপযশবোৰো পলাই পত্ৰং দিয়ে; এইবাৰতে মণ্ডলদৈয়ে সেই মণ্ডল-কাৰ্য আৰম্ভ কৰিলে ভাল হয়। কিবা যদি কৰিব লাগে, নাউ আৰ্ নেভাৰ্, অধুনৈৰ ৰা ন কদাচন। এনে এটি ভাৱতে নিৰ্বাচিত হৈয়ে মোৰ পূৰ্ব-সভাপতি অপ্ৰমাদীসকলে নকৰা এটি কাম কৰিছিলোঁ -- সভাৰএই আৱশ্যকীয় ভূমিকাক ৰূপ দি তুলিবলৈ শাখা সভাসমূহক সশ্ৰদ্ধ মিনতি জনাইছিলোঁ। আশা কৰোঁ সাহিত্য-সংস্কৃতিৰ সমস্যাবোৰ খৰচি মাৰি আলচিবলৈ আপোনালোক সাষ্টম হৈ আহিছে আৰু ইতিমধ্যেই আলোচনাত প্ৰবৃত্ত হৈছে।

সকলো প্ৰতিষ্ঠানৰে পৰিষ্কাৰ ভাৱে বিবৃত লক্ষ্য আৰু উদ্দেশ্য থাকে। অসম সাহিত্য সভাৰো আছে। ৰৱং সভাৰ উদ্দেশ্য আৰু প্ৰস্তাৱিত কাষ অতি বহল পৰিসৰৰে। তাৰ ভিতৰৰ দুই-এটি উদ্দেশ্য শুই আছে বুলিয়েই ক'ব পাৰি। উদাহৰণস্বৰূপে দুকুৰি-ষোল বছৰীয়া সভাই কিমানখিনি 'সংগীত আৰু চিত্ৰবিদ্যাৰ উন্নতিসূচক কাৰ্যৰ বিধান কৰিছে, সেইটি প্ৰশ্ন কৰিলে সভাৰ কৰ্মধাৰসকলে ধুপুহ কৰে উত্তৰটো দিব পাৰিব বুলি মনে নধৰে; কিন্তু এইটো উদ্দেশ্য ব্যাখ্যানৰপৰা স্পষ্ট যে সভা হ'ল অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ অনুষ্ঠান। এই ভূমিকা সম্পৰ্কে কাৰো ধাৰণা ভ্ৰান্ত হ'ব নালাগে। ভাষা-সাহিত্য-সংস্কৃতিত সভাই নেতৃত্ব দিব লাগিব। সভাৰ এই নিতান্ত অপৰিহাৰ্য দায়িত্বৰ প্ৰতি সভাই পলায়নবাদী মনোভাব ল'লে নচলিব। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সুস্পষ্ট ধাৰণা থকা ভাষাতাত্ত্বিক, সাহিত্যিক আৰু কলাতত্ত্বৰ পণ্ডিতসকল সাহিত্য সভাৰ গুৰিত হ'ব লাগিব। এনে বিৱৰণৰ লোকসকল সভাৰ প্ৰথম আৰু প্ৰধান শ্ৰেণীৰ সদস্য হ'ব লাগিব। তাৰ পৰিবৰ্তে মাথোন ক্ষমতা আৰু সম্মানৰ লোভক আগঠাই দিলে মাধৱ কন্দলিৰ উপমাত শালগ্ৰাম মাটিত পেলাই নটিনীক পীৰা দিয়াৰদৰে মহাবিষংগতি হ'ব আৰু বৃথা বন্ধনত সাহিত্য সভা বন্দী হৈ নিজৰ মুক্তি বিচাৰি নাপাব। সেইহে কৈছোঁ, সাহিত্য সভাই 'অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতি সাধন' কৰাৰ চৰম ভূমিকা ল'বলৈ হলে, হে ভাষা-সাহিত্য-সংস্কৃতি-প্ৰেমীসকল, আপোনালোকে প্ৰকৃত সাহিত্য-সেৱী, সাহিত্য-কৰ্মীসকলক বাট এৰি দি সভাৰ শীৰ্ষত বহুৱাওকহি, কাৰণ সিসকলৰ ধৰ্মক শক্তিশালী কৰাই সভাৰ প্ৰধান কাম।

এখন উচ্চাংগৰ মাহেকীয়া আলোচনী নাথলা সাহিত্যিক ভেকুৰামৰ, শূন্যৰদেশ অসমত সাহিত্য সভাই দেশৰ চুকে-কোণে বিপুল সংখ্যক শাখা সভাৰে কি কাম সাধে, এনে প্ৰশ্নই মাজে মাজে উকা দিয়ে। কোনোৱে কয় যে এয়া সংগঠন; কিন্তু কিহৰ বাবে এই সংগঠন? বাহিৰৰ কোনোৱে শাখাৰ সংখ্যা দেখি বিস্ময় মানিছে। পিছে এই শাখাবিলাকৰপৰা কি কি বিস্ময়কৰ কাম হৈছে? কোনোৱে কয় যে কোনো সংগঠকে নিজৰ দল-বল বৃদ্ধি কৰিবৰ কাৰণে মাথোন গৰু-খোজ গাঁৱত, ম'হৰ ঘুলি চুৱাৰীত শাখা সভা পাতিছে। সেই কথা আৰু বিচাৰ কৰিবলৈ নাযাওঁ; কিন্তু খেৰণিয়ে-বননিয়ে য'তেই শাখা সভা পতা হওক, সি অসম সাহিত্য-সভাৰ সাহিত্যসেৱী কৰ্মঠ অংগৰূপেহে জন্ম লোৱা বাঞ্ছনীয়। সংখ্যাতকৈও আজিৰ জগতত গুণৰ প্ৰয়োজন অধিক। অসম সাহিত্যসভাৰ দৰে শ্ৰেষ্ঠ এটি অনুষ্ঠানৰ সভ্যপদৰ সাহিত্যিক মূল্য থকা কামনীয়। এই দৃষ্টিৰপৰা সভাৰ 'সংগঠন' নিটোল নহ'লে সভাৰে মূল্যডিভেলুৱেটেড্, হ্ৰাসীকৃত অৱস্থাত ৰ'ব।

সাহিত্য আৰু সাহিত্য সভা কি তাৰ ধাৰণা নথকা লোকে সভাৰ গুৰি-ৰ'ঠা ধৰিলে যি যি বিসংগতিৰ সৃষ্টি হয়, তাকেই আমি দেখিছোঁ। যোৱা বছৰৰ 'অসম সাহিত্য সভা পত্ৰিকা'ৰ পৰা কাৰ্যপালিকাৰ বিৱৰণ আদি হঠাতে বাদ দিয়া হ'ল। ইয়াৰ কাৰণ বোলে পত্ৰিকাত 'সভাৰ প্ৰস্তাৱ, কাৰ্য-বিৱৰণি, শাখাৰ উল্লেখযোগ্য কামৰবিৱৰণ থাকিলে পত্ৰিকাখন অলপ পাতল হোৱাৰ আশংকা! এনে অদ্ভুত যুক্তিৰদ্বাৰা সভা শাখা সভা আৰু কাৰ্য-নিৰ্বাহককে হেয় কৰা হৈছে। তদুপৰি এনে উক্তিয়ে সাহিত্যসভাৰ দৰে এক একাডেমিক অনুষ্ঠানৰ স্বৰূপৰ জ্ঞানেৰেঅভাৱ প্ৰদৰ্শন কৰা হৈছে। জগতৰে আদৰ্শস্থানীয় ফ্ৰেন্স একাডেমিৰপৰা আৰম্ভ কৰি বংগীয় সাহিত্য পৰিষদৰ পত্ৰিকালৈকে সকলো একাডেমিক অনুষ্ঠানৰ পত্ৰিকাতে অনুষ্ঠানৰ বিৱৰণ আৱশ্যকীয়। এনে অনুষ্ঠানৰ মুখপত্ৰ পত্ৰিকা বা 'জাৰ্নেল'। যেই কোনো ভাল ইংৰাজী অভিধান চালেই গম পাব 'জাৰ্নেল' শব্দৰ সম্পৰ্ক আছে 'ডায়েৰি' শব্দৰ লগত আৰু জাৰ্নেল মানে হ'ল দ্যা ট্ৰেঞ্জেক্চনছ্ অৱ এ ছোছাইটি। গতিকে পত্ৰিকাত সভাৰ ব্যৱসায়গত বিৱৰণ প্ৰধান অংগ। যিসকলে অসম সাহিত্য সভাৰ গ্ৰন্থাগাৰ দেখিছে, সেইসকলে জানে সেই গ্ৰন্থাগাৰত আজি আশী-বছৰীয়া আপ হোৱা বংগীয় সাহিত্য পৰিষদৰ 'পত্ৰিকা' ভৰি আছিল। মামে-কামে সিয়েহে আমাক

অনুপ্রেৰণা যোগাইছিল, সেই কথা পত্রিকাৰ প্ৰথমৰ সাহিত্যিক-পণ্ডিত-সম্পাদক চন্দ্রধৰ বৰুৱা, দেৱানন্দ ভৱালী, ডিম্বেশ্বৰ নেওগে ক'ব পাৰিলেহেঁতেন। সাহিত্য সভা, শাখা সভা কাৰ্যপালিকা যদি টুলুঙা নহয়, সিসকলৰ নাম আৰু বিৱৰণ 'পাতল হোৱাৰ আশংকা' নাই। বৰং অসম সাহিত্য-সভা পত্রিকাক পপুলাৰ মেগাজিন কৰিবলৈ যোৱাটোহে একাডেমিক বিচাৰত পাতল কথা হ'ব, যদি সভাই সুকীয়া নাম দি তেনে এখন কাগজ চলাব পাৰিলে ভালবে কথা হয়; কিন্তু আমাৰদেশৰ বৰেণ্য সাহিত্যিকসকলে প্রতিষ্ঠা কৰি যোৱা আদর্শক একো নুবুজা মানুহে লাং লাং থাং থাং কৰিবলৈ যোৱাটো দুখৰ কথা। অসম সাহিত্য সভাই জগতৰ আদৰণীয় আদর্শৰদ্বাৰা অনুপ্রাণিত হৈ জগতত শীর্ষস্থান লাভ কৰক, এইটোহে আমাৰ দেহে-কেহে প্রযত্ন হ'ব লাগে। সংবিধান-তন্ত্রৰ ফালৰপৰা সাহিত্যসভাৰ আনুষ্ঠানিক ৰূপত এটা ব্যতিক্রম মই দেখা পাইছোঁ। মূল সাহিত্য সভাৰ সদস্যেৰে শাখা সভা গঠিত হয়। গতিকে শাখা সভাবোৰ সম্পূর্ণৰূপে মূল সভাৰ অংগ আৰু মূলৰ নিয়ম-শৃংখলাৰদ্বাৰা অনুশাসিত। এনে স্থলত ঠায়ে ঠায়ে আমাৰ শাখাসভাবোৰক স্বতন্ত্র সংবিধান থকা আন অনুষ্ঠানে নিজৰ শাখা কৰি লোৱা বে-আইনী কর্ম হৈছে। আন কোনো দেশত এনে বিপর্যয় মই দেখা নাই। কোনোবা সংবিধান-পণ্ডিতে জানে যদি, জনাব। আজি সাহিত্য সভাৰ নিয়ম-শৃংখলাৰ বিশেষ বিচাৰ নোহোৱা সময়ত এই ব্যতিক্রমৰ কথাবোৰ বিচাৰ নহ'ব পাৰে; কিন্তু তাৰপৰাই এসময়ত কুৰুক্ষেত্র উপস্থিত হ'ব পাৰে, কাৰণ সাহিত্য-সভাৰ এটা বিধিগত স্বতন্ত্র সত্তা বা আইডেণ্টিটি আছে আৰু সা-সম্পত্তিও আছে।

সাহিত্য সভাৰ আজি চৰম ভূমিকা হ'ব সকলো সাহিত্যিক আৰু সাহিত্যসেৱীক লৈ নিজে সুসংগঠিত হৈ নিজে এক সৎসাহিত্য সৃষ্টি কৰা আৰু তেনে সাহিত্য সৃষ্টিত বাস্তৱ অনুপ্রেৰণা যোগাৱা। ভাৰতৰ সাহিত্যিক জগতখনত নিজৰ অস্তিত্ব অনুভৱ কৰোৱা আৰু নিজকে প্রতিষ্ঠা কৰাও অৱশ্যে কর্তব্য হৈ পৰিছে। বাহিৰৰপৰা দুজন সাহিত্যিক আমাৰ মাজলৈ এদিন এবেলালৈ আনিলে আৰু নিজ গুণৰ বলত আমাৰ দুজন গৈ বাহিৰত দেখা দি আহিলেই এই কার্য সাধিত নহয়। অসম সাহিত্য সভাক অসমীয়া ভাষা-সাহিত্য বিষয়ক সর্বভাৰতীয় অনুষ্ঠানৰূপে ভাৰতীয় মানসত সংস্থাপন কৰাৰ উপায় চিন্তা কৰিবৰ হৈছে। সেই উপায় সভাই উদ্ভাৱন কৰক। নানা জনজাতিৰ ঐতিহ্যেৰে চহকী অসমীয়া জাতিৰ জীৱনৰ যি বিৰাট ৰূপ আমাৰ সাহিত্যত আজিও অপ্রকাশত ৰৈছে, তাৰ বিষয়ে আমাৰ মাজত আলাপ-আলোচনা হওক, তাৰ বিষয়ে অধ্যয়ন হওক, আমাৰ সাহিত্য-সংগীত-কলাত তাৰ অভিব্যক্তি জীৱন্ত হৈ প্রতিভাত হওক। তেতিয়া হ'লেহে অসম স্বে মহিম্নি প্রতিষ্ঠিত হ'ব, অসম সাহিত্য সভা গৌৰৱামণ্ডিত এটি জগতৰ আদৰণীয় অনুষ্ঠান হ'ব। সেই অতুল অসম আৰু সাহিত্য সভাকে কামনা কৰোঁ।

দৰঙী ৰাজ্যলৈ আহিছোঁ :

ইতিহাসে কৃতি আৰু কীর্তিৰ স্বাক্ষৰ থৈ যোৱা দৰঙী ৰাজ্যৰ ৰাজধানী ধুনীয়া এধানমানি এই মঙলদৈলৈ আহিছোঁ আজি। সেই ৰাজ্যৰ ৰাজধানী মঙলদৈ যেন সর্বমংগলৰ আকাৰ হওক। ঘিলাবিজয়পুৰত ৰাজধানী কৰি যেতিয়া চিলাৰায়ৰ পুত্র ৰঘুদেৱনাৰায়ণে কামৰূপ ৰাজ্য স্বতন্ত্র কৰি বহিছিল, তেতিয়া তেওঁ লক্ষ্মীনাৰায়ণৰ শক্তিশালী কোচ-বেহাৰৰ বিৰুদ্ধে বহিঃ পৰিক্রমা বলী কৰোঁ বুলি ভাবি আহোমৰাজ প্রতাপসিংহলৈ 'আপোনাৰ কাজিসকলেৰে সমালোচন কৰি পাতালসিংহ কটকীৰ হাতত লিখা এখানি দি কন্যা এটি দিওঁ বুলি কৈ পঠালে। পাচে মহাৰাজা শুনি লক্ষীনাৰায়ণৰ ঠাই কটকী গতাগত কৰি ৰঘুদেৱৰ জীয়েক মঙলদৈ কুঁৱৰীক আনিলে।' ১৫৩৯ শকত 'গড়গাওত বজ্রপাত পৰি দেৱৰ ঘৰ পুৰিলে, মঙলদৈ কুঁৱৰী মৰিল।' এই এগৰাকী কোচ ৰজাৰ জীয়ৰী আহোম ৰজাৰ ৰাণীৰ নামেই বোধ হয় মঙলদৈ নামটি হৈছে। অৱশ্যে গোইটৰ মতে মঙলদৈ পৰীক্ষিতনাৰায়ণৰ কন্যা। মধ্য যুগৰ প্রায় শেষলৈকে ইতিহাসত দৰং অখ্যাত। বিশ্বসিংহ নৰনাৰায়ণৰ অভ্যুদয়, শংকৰদেৱৰ বেনেছাঁৰ বিস্তাৰ আৰু আহোম ৰাজ্যৰ পশ্চিমমুৱা প্রসাৰৰ মাজতহে দৰং দেশে অনুপ্রবেশ কৰে। এই সন্ধিসময়ৰ আহোম বুৰঞ্জীত বটা-টেমনিৰ বাৰভূঞাসকলৰ উল্লেখ আৰু তেওঁলোকৰ লগত আহোম ৰাজশক্তিৰ সংঘর্ষৰ কথা আমি পাওঁ। বাৰভূঁয়ে বাংলাৰ পৰা আৰম্ভ কৰি পূৰৰ বামুণ ভূঞাৰ দেঁশ হাবুং অর্থাৎ সুৰণশিৰিয়ে ঢুউওৱা অঞ্চল পর্যন্ত বিক্ষিপ্তভাৱে ভূঞাসকলে দেশ শাসন কৰিছিল; কিন্তু তেওঁলোকৰ ৰাজ্য আৰু ৰাজত্ব সম্পর্কে নিশ্চিতকৈ একো কথা পোৱা নাযায়। তেওঁলোকৰ লগত বর্ত্তমানৰ মধ্য অসমত কছাৰীসকলৰ সংঘর্ষ হৈছিল। চুখাম্ফা আৰু চুচেন্ফা স্বর্গৰজাৰ বিৰুদ্ধে তেওঁলোকে

যুঁজ কৰিছিল। বিশ্বসিংহ আৰু নৰনাৰায়ণৰ অভ্যুদয়কো সিসকলে ৰোধ কৰিবৰ বৃথা যত্ন কৰিছিল। তেওঁলোকৰ কথাই হৈছে, 'দেখিলেক লোক যেবে ভৈলেক অৰাজ। গাঁৱে গাঁৱে ভৈল তেবে সবে ভূঞাৰাজ।।' আনফালে নৰনাৰায়ণ বা প্ৰতাপ সিংহৰ নিচিনা প্ৰবল ৰাজশক্তি উঠি আহিলে তেওঁলোকে প্ৰাথমিক প্ৰতিৰোধৰ পিছত আনুগত্য প্ৰদান কৰিছিল।

ছুক্লেনমুং গড়গাঁও ৰজাই পশ্চিম ফালৰপৰা অনুপ্ৰবেশ কৰা সলাত থকা কোচসকলক আক্ৰমণ কৰে। 'সেহি সময় নৰনাৰায়ণৰ ভাই ৰামচন্দ্ৰ, দীপসিংহ, হেমধৰ, ৩ কোঁৱৰ ভ্ৰমৰাকুণ্ডত স্নান কৰি সলাত আছিলহি ৩০০০ কোচ সহিতে।' সলা, চাণ্ডিনিমুখ আৰু পিছলাৰ পাৰৰ যুদ্ধত আহোমে কোচক ঘটুৱায় ১৫৪৬ চনত। চাণ্ডিনিমুখৰ যুদ্ধত দীপসিংহ নিহত হয়। ইয়াৰ পিছত চুখামফা আৰু নৰনাৰায়ণৰ মাজত পত্ৰ-ব্যৱহাৰৰ যত্ন হ'ল; কিন্তু তাৰ ফল সুখকৰ নহ'ল। নৰনাৰায়ণৰ আদেশক্ৰমে ভায়েক 'গোহাঁইকমলেও নামদানি ওপৰদানি সমান কৰি হাঙৰ যুৱীয়া কোখেদি কুমতীয়াৰ সমীপে ৰৰধলি পৰ্যন্তে আলি এটা কৰি নিলে উত্তৰকোলে।' বিৰাট সৈন্যসমভিব্যাহাৰে নৰনাৰায়ণ-চিলাৰায়ৰ অসম-অভিযান আৰম্ভ হ'ল। এই অভিযানত তেওঁলোকে দৰং ৰাজ্যৰ ভিতৰৰ টামটুমনি, ৰৌটাৰ বড়ি আদিত কেম্প কৰি ত্ৰিশূলদেৱী আৰু ধনেশ্বৰী নদীৰ মাজত দুৰ্জয় গড় বান্ধি নলখামাৰ নামে দেৱী-মঠ নিৰ্মাণ কৰিলে আৰু এঘৰ কছাৰীক তাৰ দেউৰী পাতি ৰাজ্যশাসন ঘোষণা কৰিলেঃ 'শুনিয়ো সমস্ত মোৰ ৰাক্য-নিবন্ধন।। গোহাঁইকমল আলি মধ্যসীমা কৰি। উত্তৰৰ ফালে আছে যতেক কছাৰী।। সেহিফালে দেৱালয় আছে যত যত। কোচে মেচে পূজিবেক মোহোৰ ৰাক্যত ।। দক্ষিণৰ ফালে পূজা ব্ৰাহ্মণে কৰিব। এহি নিবন্ধনে সবে ধৰ্ম প্ৰৱৰ্তিব।।' এই ৰাজাদেশ বিশেষ তাৎপৰ্যপূৰ্ণ। ইয়াৰ পিছত কোচ ৰজাসেনাপতি শিঙৰি, ভৈৰৰী বা ভৰলী আদিয়েদি আহোম ৰাজধানী গড়গাওঁ পৰ্যন্ত আগবাঢ়িল আৰু শেহাস্তৱত দুই শক্তিৰ মাজত সন্ধি স্থাপন হ'ল।

শংকৰদেৱে ১৫১৬ চনমানত দক্ষিণৰ ভূঞাৰ ৰাজ্য এৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ পৰিব্ৰজন কৰে। শিঙৰি-ঘিলাধাৰীয়েদি আগবাঢ়ি মহাপুৰুষৰ দলৰ ভূঞাসকল ৰটাত ছমাহ ৰয়হি। তাৰ পিছত সিসকল আহোম ৰাজ্যৰ ভিতৰৰ গাংমৌত চৈধ্য বছৰমান কাল কটায়গৈ। মাধৱদেৱৰ ভনী উৰ্বশীক বিয়া কৰা হোকোৰাকুছীয়া গয়পাণি বা ৰামদাসৰ ঘৰো এই ৰটা অঞ্চলতে আছিল। মাধৱদেৱৰ আজ্ঞাপৰ মহন্ত লেচাকনীয়া বা খটৰা গোবিন্দৰ ঘৰ আছিল দুমুনি পৰ্বতত।। তেওঁ হেনো চাৰিদুৱাৰলৈ যাওঁতে তিনিকুৰি খট বা ডকাইতক ভকত কৰিদৰঙাৰ সত্ৰ খটৰা প্ৰতিষ্ঠা কৰে; তাৰে ঠেঙুলি বাটি কামৰূপ পৰ্যন্ত বহুতো সত্ৰ হৈছে আৰু মহাপুৰুষৰ বাণী বিস্তাৰ কৰিছে। ৰাম সৰস্বতীৰ ভণিতা থকা অনেক কবিতাৰ পুথি মংগলদৈ অঞ্চলত পোৱা গৈছে। নৰনাৰায়ণৰ ৰাজসভাত থাকি আদিপৰ্ব, ৰনপৰ্ব (আদি, পুষ্পহৰণ, মণিচন্দ্ৰ, বিজয়) ৰঘাসুৰ বধ, কুলাচল বধ, লেখা অনিৰুদ্ধ, ৰাম সৰস্বতী আৰু ঘিলাবিজয়পুৰৰ ৰঘুদেৱ নৃপতি আৰু তেওঁৰ পুত্ৰ মুকুন্দদেৱ আৰু ধৰ্মনাৰায়ণৰ উল্লেখ কৰা উদ্যোগ আৰু কৰ্মপৰ্ব লেখা ৰাম সৰস্বতী দৰঙী ৰাজ্যত থাকি ধৰ্মনাৰায়ণ, সুন্দৰনাৰায়ণৰ ৰাজত্বত কবিতা লেখা ৰাম সৰস্বতী একেজনেই লোক বুলিলে প্ৰশ্নৰ উদয় হয়। কোচবেহাৰৰ ৰাজসভাৰ অনিৰুদ্ধ কামৰূপৰ চমৰিয়া গাঁৱৰ ভূঞা কবিচূড়ামণিৰ পুত্ৰ। বিৰাটপৰ্ব লেখা ৰাম সৰস্বতীৰ স্থান গ্ৰাম মধ্যে সাৰোদ্ধাৰ চমতিয়া নাম যাৰ কপাহঠাৰ মধ্যে লেখি যাক।' সিন্ধুযাত্ৰা ৰনপৰ্ব আৰু ভীষ্মপৰ্বত, জয়দেৱ কাব্যত ধৰ্মনাৰায়ণৰ নাম স্পষ্টভাবে আছে। শান্তিপৰ্বত আকৌ সুন্দৰনাৰায়ণ আৰু মকৰধ্বজৰ উল্লেখ স্পষ্ট। ভাৱ হয় অনিৰুদ্ধ ৰাম সৰস্বতীৰ আদৰ্শত পিছৰ যুগৰ মহাভাৰতৰ পদ লেখা কবিসকলে ৰাম সৰস্বতী উপাধি পাইছিল বা লৈছিল। 'বৃত্ৰাসুৰ বধ'ৰ ৰামসৰস্বতী দৰঙৰ ৰৌটা নগৰৰ।

নৰনাৰায়ণৰ পুত্ৰ কাচৰেহাৰৰজা লক্ষ্মীনাৰায়ণ আৰু চিলাৰায়ৰ পুত্ৰ কামৰূপ ৰাজ ৰঘুদেৱনাৰায়ণৰ বিবাদৰ ফলস্বৰূপে কামৰূপখন মোগল সৈন্যৰ 'ঘোৰাৰ পাট' হয়। ১৬০৩ শকমানত ৰঘুদেৱৰ মৃত্যু হোৱাত পৰীক্ষিতনাৰায়ণ কামৰূপৰ ৰজা হৈ উত্তৰ গুৱাহাটীত ৰাজধানী কনি ৰহিল। লক্ষ্মীনাৰায়ণে দিল্লীশ্বৰৰ অধীনতা গ্ৰহণ কৰি ল'লে। মোগলৰ যুদ্ধত পৰীক্ষিত বন্দী হ'ল আৰু ঢাকাৰপৰা ঘুৰিবলৈ ধৰোঁতেই মৃত্যুৰ মুখত পৰিল। ৰঙদী পৰ্যন্ত মোগল সাম্ৰাজ্য বিস্তৃত হ'ল। পৰীক্ষিতৰ ভায়েক বলিনাৰায়ণে প্ৰতাপসিংহ স্বৰ্গদেৱৰ ওচৰত আশ্ৰয় লয় আৰু প্ৰথম কৰতলীয়া দৰঙী ৰজাৰূপে মঙ্গলদৈত অধিষ্ঠিত হয় আৰু ধৰ্মনাৰায়ণ নাম পায়। এইদৰে ১৬১৬ ছনমানত দৰঙী ৰাজ্য মঙ্গলদৈ ৰাজধানীৰে সৈতে জন্মলাভ কৰে। ধৰ্মনাৰায়ণে, আন এজন কামৰূপৰ কোচ বীৰ সনাতনে আৰু দক্ষিণকোলৰ ওঠৰজনকৈ পৰ্বতীয়া ৰজাই হাজোৰ মোগল প্ৰশাসনক

শান্তি দিয়া নাছিল আৰু তাৰ ফলতে ১৬৩৮ ছনত পৰীক্ষিতৰ সমস্ত কামৰূপ ৰাজ্য আহোমসকলে অধিকাৰ কৰি লয়। দৰঙী ৰাজ্যৰ জন্মৰ বেলাতে উজনিৰপৰা তিনিহাজাৰ চুতীয়া আনি সেই ৰাজ্যত পাইক কৰি বহুওৱা হয় আৰু লগে লগে দৰঙত আহোম শাসন-পদ্ধতি ক্ৰমাৎ প্ৰয়োগ কৰা হয়। জহাঁগীৰ বাদশাহৰ দিনত ১৬১৫ ছনমানত শেখ ইব্ৰাহিম কৰোড়ীয়ে কামৰূপত পূৰ্বৰ চাকলাবন্দীৰ ঠাইত পৰগণাবন্দী প্ৰৱৰ্তন কৰোঁতে চৰকাৰ কামৰূপৰ অধীনে পৰগণা ৰৰদৰং আৰু পৰগণা পাতিদৰং পাতিছিল। ১৬৮৪ ছনত মানাহা সীমাকৈ আহোমে কামৰূপ লোৱাৰ পিছত পূবে ৰৰনদীলৈকে ৰৰফুকনৰ তলে পৰগণাবন্দী বাহাল ৰখা হৈছিল। দৰঙী ৰাজ্যও ৰৰফুকনৰ তত্ত্বাৱধানত আছিল আৰু 'দৰঙী মানুহে ৰাজহৰ বাবদ ফুকন, বৰুৱা, আহোমৰ বিষয়াসকলৰ লগত খাটিবৰ নিয়ম' কৰা হৈছিল। একে পাগত চলা এটা পৰিয়ালে বছৰি এটকা ৰূপ হাৰ্থ-ট্ৰেক্সৰূপে দিব লাগিছিল বুলি গেইটে কৈছে। ১৬৮৫ ছনত দৰঙী ৰাজ্যৰ পিয়লৰ সময়ত ৰাজস্ব বাঢ়িব বুলি ফটিক হাজৰিকাৰ বিদ্ৰোহ হয়।

ধৰ্মনাৰায়ণৰপৰা ক্ৰমে মহীন্দ্ৰনাৰায়ণ (১৬৩৭-৪৩), চন্দ্ৰনাৰায়ণ (১৬৪৩-৬০), সূৰ্যনাৰায়ণ ১৬৬০-৮২) ৰজা হ'ল। সূৰ্যনাৰায়ণক নৱাব মনসুৰ খাঁই ঢাকালৈ ধৰিনিয়ে; তেওঁ ঘুৰি আহি ঘৰ পোৱাৰ আগতে ভায়েক ইন্দ্ৰনাৰায়ণ ৰজা হয়। তেওঁৰ পিছত ক্ৰমাৎ মোদনাৰায়ণ, ধীৰনাৰায়ণ, দুৰ্লভ নাৰায়ণ, হংসনাৰায়ণ ৰজা হ'ল। এই সময়তে মায়ামৰীয়াৰ আক্ৰমণত ৰংপুৰৰপৰা গুৱাহাটীলৈ ভাগি অহা আহোমৰজা গৌৰীনাথৰ বিৰুদ্ধে হংসনাৰায়ণে ৰণ কৰাত তেওঁক ধৰি মাৰি পেলোৱা হয় আৰু বিষ্ণুনাৰায়ণক ৰজা পতা হয়। তাতে হংসনাৰায়ণৰ পুত্ৰ কৃষ্ণনাৰায়ণে হৰদত্ত চৌধুৰীৰে সহযোগ কৰি কোম্পানীৰ মুলুকৰপৰা ৰৰকন্দাজ সংগ্ৰহ কৰি দৰঙৰপৰা বিষ্ণুনাৰায়ণক বিতাৰিত কৰে আৰু গুৱাহাটীৰ অদূৰত দেখা দিয়ে। এফালে বিদ্ৰোহী দৰঙী আৰু আনফালে বিদ্ৰোহী মায়ামৰীয়াৰ বিৰুদ্ধে গৌৰীনাথে লৰ্ড কৰ্ণৱালিছৰ সহায় বিচাৰিলে। ১৭৯২ চনৰ শেষভাগত কাপ্তান ৰেলছ আহিল পিছ বছৰত কৃষ্ণনাৰায়ণক পিতৃৰাজ্য দিলে আৰু উজনিত মায়ামৰীয়াক দমন কৰিলেগৈ। কৃষ্ণনাৰায়ণে কৰতলীয়াৰূপে ৰণুৱা আৰু পাইকৰ পৰিবৰ্তে ৫৮,০০০ টকা দিবলৈ কবুল কৰিলে। ১৮০৫ ছন মানত কৃষ্ণনাৰায়ণক গুচাই সমুদ্ৰনাৰায়ণক দৰঙৰ ৰজা পতা হয়।

ৰুদ্ৰ-মৈত্ৰক-শাকে অৰ্থাৎ ১৭১১ শকৰ এখন তামৰ ফলিৰে 'পূৰে ধনশিৰি নৈ, পশ্চিমে ৰৰনদী, উত্তৰে গোহাঁইকমলৰ আলি, দক্ষিণে লোহিত, এই চতুৰহদে বতাকুছি দুৱাৰ'ৰ বাবদ শোধাবলগীয়া ধন গৌৰীনাথসিংহই এৰি দিয়ে। ১৭১৪ শকৰ এখন ফলিত একেজন ৰজাই 'খৰঙ্গি হাজাৰৰ ওপৰত পূবথৰীয়া শৰ নিৰাময় বড়াক পূৰ্বে দৰঙী মহৎনাৰায়ণ ৰাজা চমুৱাৰ হাবি দলনি মাটি এড়ুখৰি দিয়া বুলি জনোৱাত' বড়াক নকৈ মাটি দিয়া হয়। ১৭৩৮ শকৰ এখন ফলি যোগে চন্দ্ৰকান্তসিংহই পহুমৰীয়া সৰুজনা ন-গোসাঁইক 'দৰঙী ছয়ো হাজাৰৰ (ভিতৰৰ) ৬ টা গোট পাইক খৰি-পাত আনিবৰ নিমিত্তে' দান কৰে। দৰঙৰ পাইকৰ লেখৰ এই ছটা হাজাৰ হ'ল গোহাঞি হাজাৰ, কথৰ হাজাৰ, কলিতা হাজাৰ, খটৰ হাজাৰ, মহিমা হাজাৰ আৰু আঠিয়াবৰীয়া হাজাৰ। দৰঙী ৰজাৰ তলতীয়া প্ৰজা ইয়াৰ বাহিৰেও সুকীয়াকৈ আছিল। ১৭৪২ শকত একেজন ৰজাই আউনীআটীৰ গোবিন্দ ঠাকুৰৰ নামত দৰঙী ৰজাৰ ভাগৰ আৰু এই ছয়ো হাজাৰৰপৰা পাইক আৰু জমি দান কৰে আৰু আঠিয়াবৰীয়া হাজাৰৰ ভটুংগ দাশক দৰঙীৰ ভগা ৰজা প্ৰেমনাৰায়ণৰ (মহৎনাৰায়ণৰ নাতি, সমুদ্ৰনাৰায়ণৰ পুত্ৰ) তাম্ৰপত্ৰৰ ভিতৰৰপৰা পাইক গুচাই চমুৱা কৰি বতাকুছি দুৱাৰৰ দুৱৰীয়া নিয়োগ কৰে। ১৭৪৭ শকৰ এক পত্ৰৰপৰা জনা যায় তাৰ কেইবছৰমানৰ আগতে দৰঙী বংশৰ ধনেশ্বৰী নামে ৰাজকুঁৱৰীক সালংকৃতাকৈ মান ৰজালৈ দিয়া হৈছিল। মান ৰজাই মান যুৱৰাজৰ লগত তেওঁক বিয়া দয়ে। তেওঁ ৰঙিলী কুঁৱৰীৰদৰে বৰ্মাৰ হেৰেম শোভা কৰি আছিল।

ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতাত ৰাম সৰস্বতীৰ বাহিৰেও ৰাম সৰস্বতীৰ পুত্ৰ বুলি চিনাকি দিয়া পাটচৌৰা গ্ৰামৰ গোপীনাথ পাঠক, ভাষা-পুৰাণ, 'পদ্মা পুৰাণ' লেখা সুকবিনাৰায়ণদেৱ, শল্যপৰ্ব লেখা দামোদৰ দ্বিজ (যি লগতে মকৰধ্বজৰ নামো লৈছে) আদি কবিয়ে কবিতা কৰিছিল। চন্দ্ৰনাৰায়ণ ৰজাৰ দিনত ভৱানন্দ মিশ্ৰই খটৰা সত্ৰৰ গোবিন্দৰ চৰিত ৰচনা কৰে। 'ধৰ্মসংবাদ' আৰু 'স্বপ্নাধ্যায়'ৰ কবি শুভনাথ দ্বিজ সৰস্বতী হয়নাৰায়ণ ৰজাৰ দিনৰ যেন লাগিলেও তেওঁ ধৰ্মনাৰায়ণৰ দিনৰ বুলিহে ভাৰ হয়, কাৰণ তেওঁৰ পৃষ্ঠপোষক ৰজাজনে ম্লেচ্ছক ৰণত জিনি প্ৰাগ্‌জ্যোতিষপুৰত উমানন্দ গিৰিত জৱোৱা কথা কবিয়ে লেখিছে।

১৬১৭ আৰু ১৬৩৫ ছনৰ মাজতে এনে ৰণ হৈছিল। হয়নাৰায়ণ ৰজাৰআদেশত ১৭৯৫ ছনত ৰতিকান্ত দ্বিজে কৃষ্ণ-জন্মখণ্ড পর্যন্ত ব্রহ্মবৈৱর্তপুৰাণ'ৰ ভাঙনি কৰে; পুৰাণখনৰ অৱশিষ্ট অংশ নন্দীশ্বৰ, বিশ্বেশ্বৰ, খৰ্গেশ্বৰ আৰু নৰোত্তম দ্বিজে সম্পূর্ণ কৰে। কুমাৰ খড়্গনাৰায়ণৰ আদেশত ৰতিকান্ত দ্বিজে পদ্যত এখন 'ৰাজবংশাৱলী' ৰচনা কৰে। ৰজা সমুদ্রনাৰায়ণৰ আদেশত বলদেৱ সূর্যখৰি দৈৱজ্ঞই ১৭৯১ ছন মানত আৰু ৰজা জগতনাৰায়ণৰ পুত্র গন্ধর্বনাৰায়ণৰ আদেশত পীতাম্বৰ সিদ্ধান্তৱাগীশৰবংশধৰ সূর্যদেৱ ১৮৪০ ছনমানত একোখন বংশাৱলী লেখে। জগতনাৰায়ণৰ আন এজন পুত্র মধুনাৰায়ণে 'অগ্নিপুৰাণ' বা 'যমৰ ঘৰত জীয়ন্ত মনুষ্য' নামে কবিতা পুথি ৰচনা কৰিছিল। দৰঙী ৰাজবংশৰ আনসকলেও সাহিত্য ৰচনা কৰিছিল বুলি শুনা যায়। এই ৰাজ্যত ৰচিত কবিৰাজ সূর্যবিপ্রৰ 'শিয়ালা ৱৈষ্ণৱৰ চৰিত' লোক-কথা-জাতীয় কৌতূহলোদ্দীপক এখনি পুথি। ১৮৩৬ চনত তেজপুৰত 'ব্যৱহাৰ লিপি কর্মে, ব্যাপৃত থাকি পুৰণি কবিতাৰ আৰ্হিত 'ধর্মপুৰাণ' আৰু 'বিষ্ণুপুৰাণ' লেখা পৰশুৰাম দ্বিজ মণ্ডলদেৱ মনুহ।

দৰঙী ৰাজ্যৰ সবাতোকৈ ঐশ্বর্যশালী ঐতিহ্য হৈছে সুকনাগ্নী ওজা-পালিৰ লগতে বিয়হীয়া ওজা-পালিৰ। এই ঐতিহ্যৰ বিজ্ঞানসম্মত ইতিহাস নাই আৰু তাৰ কলা সম্পদৰো কোনো আধুনিক বিজ্ঞানসম্মত অধ্যয়ন আৰম্ভ হোৱা নাই। ধর্ম, সাহিত্য, সংগীত আৰু নৃত্যৰূপে ৰং আৰু সভাৰ ওজাপালিৰ বহুতোৰোৰ বিশিষ্ট লক্ষণ আছে। সুকবিনায়ণৰ 'পদ্ম-পুৰাণ'ৰ সমীক্ষিত পাঠৰ আৱশ্যক হৈ আছে। ইয়াৰ বঙলা সংস্কৰণ কলিকতা বিশ্ববিদ্যালয়েই উলিয়াইছে। সভাগোৱা ওজাৰ সংস্কৃত, অসমীয়া আৰু সান মিহলি ভাষাৰ শ্লোক, (বান, মালচি, মালিতা আদি নানাবিধ) গীত আদিৰ এক বিপুল সাহিত্য আছে। সর্বগ্রাসী শংকৰী সাহিত্য-সংস্কৃতিয়ে দৰং ৰাজ্যত লুকাই থকা এই সাহিত্য-সংস্কৃতিকো আক্রমণ নকৰাকৈ থকা নাই। মহাপুৰুষীয়া গীত-পদ আৰু কহয় মাধৱ দাসে ভণিতাৰ অনেক পদার্থ ওজা পালিৰ বস্তুৰ ভিতৰত সোমাই পৰিছে, কিন্তু বিয়হীয়া ওজাৰ ধর্ম প্রধানকৈ তান্ত্রিক, অৱশ্যে ৱৈষ্ণৱ-তান্ত্রিক, কাৰণ, মন্ত্র, যন্ত্র, মণ্ডল, ন্যাস দি তান্ত্রিক পদ্ধতি তাৰ অন্তৰংগ। ওজাসকলে ব্যৱহাৰ কৰা নৃত্যৰ হস্তচালনকো সত্রীয়া বিয়হীয়া ওজাৰ দৰে হাত (যিটো নাট্যশাস্ত্রানুগ নাম) নৃত্তলি মুদ্রাহে (যিটো তন্ত্র আৰু ভাস্কর্যৰ নাম) বোলে আৰু মুদ্র বোলা এটি যন্ত্রও ব্যৱহাৰ কৰে। বিচিত্র কথা এয়ে যে আমাৰ অৱহেলা সত্ত্বেও ওজাসকলৰ নৃত্যত বিবিধ গতি আৰু দৃষ্টি আজিও স্পষ্টভাবে জীয়াই আছে। এই সকলো ঐশ্বর্যেৰে ওজা-পালি শাস্ত্রীয় আৰু ক্লাছিকেল বা ধ্রুপদীৰ ঐতিহ্যৰ বাহক। ভাৰতে আজি সেই সত্য স্বীকাৰ কৰিছে; কিন্তু অসমে সেই ঐতিহ্যৰ বিশ্লেষণ কৰি কলা ৰূচিৰে ওজা-পালক জগতৰ মঞ্চত থিয় কৰিব পৰা নাই। এই প্রত্যাহ্বান কৰিবলৈ বিজ্ঞানসম্মত দৃষ্টিযুক্ত কোনোবা কঠোৰকর্মী ওলাব লাগিব। তেতিয়াহে ভাৰতৰ সাংস্কৃতি মানচিত্র দৰঙী ৰাজ্য কুন্দ-ধৰল হৈ জিলিকিব পাৰিব। দৰঙী সাহিত্য-সংস্কৃতিপ্রেমীসকলে কিমান দিন, আৰু কিমান দিন এই ঐশ্বর্যক অৱহেলা কৰি থাকিব? হিন্দু-মুছলমান উভয় সম্প্রদায়ে ওজা-পালি হু বহন কৰি অনা এই ঐতিহ্যৰ ভাগ জগতে কেতিয়াবা পাব?

হংসনাৰায়ণ, কৃষ্ণনাৰায়ণ, ফটিক হাজৰিকাৰ দৰঙী ৰাজ্যৰ প্রজাৰ শোণিতত বিপ্লৱৰ সঁচ। ১৮৬৮ ছনৰ পিয়লৰ পিচৰ দুর্বহভাৰে হোৱা খাজনা বৃদ্ধিৰ ফলত ১৮৯৪ ছনত হোৱা 'পাথৰিঘাটৰ ৰণ' তাৰ চিটিকনি। সেই তেজ দৃপ্ত হৈ উঠিছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত আৰু যেতিয়া ১৯৪৬ ছনত পাকিস্তানৰ বুলিয়ে মণ্ডলদেৱ পমুৱাসকলক অযথা মতলীয়া কৰিছিল। ১৯৭২ ছনত যেতিয়া বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ ন্যায্য অধিকাৰ বিচাৰি ছাত্রসকলে আন্দোলন কৰিছিল, তেতিয়া দুৰ্বৃত্ত ঘাতকৰ হাতত মাতৃপূজাৰ প্রথম বলি হৈ যি 'জীৱন দি আইক পূজিছিল', সেই মানুহ-গোলাপৰ কলি মোজাম্মিল লুইত আৰু মণ্ডলদেয়ে সাক্ষৰা কৰা এই মণ্ডলদেৱ ভূমিতে গজিছিল! সেইদিনা সেই মৰহি পৰা গোলাপৰ সুবাসে দেশক মতলীয়া কৰি তুলিছিল। সিদিনা এধাৰ গোলাপৰ মালা দি সেই কথা এটোপা চকুলোৱে মাখোন ক'ব পৰিছিলোঁ। সেইটুপিকে আপোনালোকক আজি দি এই দৰঙী ৰাজ্য-প্রশস্তিৰ সমাপ্তি কৰোঁ বুলি ভাবিছোঁ :

ধনটি, তোমাৰ হাঁহিৰে ধূসৰো বস্তোৱা হ'ল।
তোমাৰ ৰক্তেৰে ধৰণী মুখৰ হ'ল।
তোমাৰ গানেৰে লুইত অগনি হ'ল।
তোমাৰ আজানে' স্বদেশ সুকৰ হ'ল।

আঘাতে আঘাত ৰক্তবাণী লেখি গ'লাঁ।
চকুপানী টোকা মূক জননীৰ
কপালৰ ফোঁট হ'লা।

সাংস্কৃতিক অগ্রগতিৰ অর্থে লাগে সংহতি :

আজি ভাৰত তথা অসমৰ অর্থনৈতিক আৰু সাংস্কৃতিক অগ্রগতিৰ বাবে সৰাতো প্রয়োজনীয় সামগ্রী সংহতি। ভাৰতৰ এই পূৱ প্রান্ত অসমলৈ চিৰকাল মানুহৰ সোঁত বৈয়ে আছে। ই কোনো জন-গোষ্ঠীৰ জন্মভূমি নহয়। এই প্রদেশলৈ অহা বিভিন্ন গোষ্ঠীৰ লোক গোট খাইহে অসমীয়া জাতি গঠিত হৈছে। এই গঠনত মংগোলীয় বা কিৰাতসকলৰে দান সৰহ। অসমৰ পর্বত-ভৈয়াম জুৰি বসবাস কৰা বিভিন্ন লোক সমষ্টিৰ সংযোগতে অসম আৰু অসমীয়াৰ জন্ম। আজি ভয়াৱহ কথা হৈছে অসম আৰু অসমীয়া নাম সকলোৰে পেলনীয়া যেন হৈছে। অৱশ্যে এই দুটা নাম দুশ বছৰৰে পুৰণি নহয়। ৰুদ্রসিংহ ৰজাক তেওঁৰ দিনত কোনেও অসমীয়া নুবুলিছিল। শংকৰদেৱেও অসমীয়া শব্দটো শুনা নাছিল আৰু সিজনাৰ ব্যৱহৃত ভাষাযে অসমীয়া এই কথা সিজনাৰ মনে-ঘৰেও নাছিল। আহোম সকলৰপৰাই অসম-অসমীয়া এই কথা সিজনাৰ মনে-ঘৰেও নাছিল। আহোমসকলৰপৰাই অসম-অসমীয়া নাম হৈছে; কিন্তু স্বর্গদেৱসকলৰ তাম-শিলৰ ফলিত দেশৰ নাম আছিল সৌমাৰ; বৈদেশিক পৰিক্রমাত ক'ৰবাত উদয়গিৰি নামটোৱো বোধহয় ব্যৱহাৰ হৈছিল। আহোমৰ ৰাজ্য বুলি দেশৰ নাম অসমৰ বাহিৰৰ লোকে দিয়া। সি কিন্তু খাজ খাই ৰৈ গৈছে; কিন্তু কোনোবাই যদি আহোমৰপৰা সুকীয়া কৰি অসমীয়াক বিচাৰিব লগীয়া হ'ল, বিসংগতিৰ ঠাই নহ'ব ! অসমৰ ভিতৰত বিভিন্ন গোষ্ঠীৰ আৰু ৰাজ্য শুচাই এক কৰা আহোমসকলেই গৌৰৱ কৰিছিল 'এঘাৰ কোঠা মাৰি এক কোঠা কৰিলোঁ' বুলি। বৃহৎ মানৱতাবোধৰ ভিত্তিত এই দেশত সাংস্কৃতিক আন্দোলন প্রৱর্তোৱা শংকৰদেৱে-মাধৱদেৱে 'জয় জয় ভাৰত ৰৰিষ' বুলি 'গাৱো ভোট যৱন' মিৰি অসম কছাৰী'ক এক হৃদয়ৰ ডোলেৰে বান্ধিবলৈ যত্ন কৰিছিল আৰু বান্ধিছিলো। প্রকৃতপক্ষে, সেই মানৱতাবোধ যেতিয়াই দুর্বল আৰু ম্লান হৈছে তেতিয়াই দেশৰ সঙ্কট উপস্থিত হৈছে; কোন স্থানীয়, কোন বিদেশী, কোন আপোন, কোন পৰৰ বিচাৰৰ খেলি-মেলিয়ে দেশৰ শান্তি হৰণ কৰিছে। যেতিয়ালৈকে বাহিৰৰপৰা অহা জন সমাগমে এই মাটিক আপোন বুলি কামো�ৰ মাৰি ধৰি মানৱতাবোধত নতুন স্বদেশীলোক আৰু সংস্কৃতিক নিজৰ কৰি লৈছে, তেতিয়ালৈকে দেশত অমৃতৰ ভাগু সকলোৱে ভোগ কৰিছে। নিজৰ ভাষা আৰু জীৱন-পদ্ধতি পৰিহাৰ কৰিহে আহোমসকলে অসমত সুদীর্ঘ ছটা শতিকা ৰাজত্ব কৰিছিল। অসমীয়া সাহিত্য-সংস্কৃতি গঢ়া শংকৰদেৱৰ পূর্বপুৰুষসকলে কণৌজত থাকোঁতে, গৌড়ত থাকোঁতে জানো অসমীয়া ভাষা কৈছিল? আজিৰ বাংলাদেশৰ ধৰাল বা ধলেশ্বৰীৰ পাৰৰ বাগুকা ৰাজ্যত থকা মাধৱদেৱৰ পিতৃ গোবিন্দগিৰি বা পিতামহে কি ভাষা কৈছিল? নৱৰংগৰাম আগৰৱালাই গমিৰিয়াল ৰাজখোৱাৰ ঘৰৰ ব্রহ্মজনীয়া শইকীয়াৰ ঘৰৰ সাদৰী- সোণপাহিক বিয়াকৈ এই অসমক মোৰ নোবোলা হ'লে জানো আমি 'জোনাকী' আন্দোলন দেখা পালোহেঁতেন? কিম্বা সুৰদি-সুৰীয়া 'শুনিছোঁ সুখৰ ঠাই তোমাৰ মুখত', শোকৰ কবিতা ৰচি দুধাৰি চকুলো মচি'ৰ লেখীয়া কবিতা পালোহেঁতেন? কিম্বা 'জয়মতী'য়ে সুৱাগুৰি তোলা অসমীয়া বোলছবিৰ ইতিহাসকে পালোহেঁতেন? সংস্কৃতিৰ বাণীয়েই হ'ল ৰবীন্দ্রনাথৰ ভাষাত দিবে আৰ নিবে, মিলাবে মিলিবে যাবেনা ফিৰে।' কিন্তু ৰবীন্দ্রনাথৰ ভাষা কওঁতাসকলেই সেই বাণীৰ ফালে নিজৰ কাণৰ বিদ্ধাত ঠিলামাৰিছে। ইয়াৰ ফলস্বৰূপে দেশত কি গৰল উদ্‌গাৰিত হ'ব পাৰে, তাক ১৯৬০, ১৯৬১,১৯৭২ -এ আমাক দেখুওৱাই নাই জানো? অসমৰ একুৰি লাখ বঙালীক প্রশাসনীয় আৰু শৈক্ষিক ভাষা লাগে বঙলা! বিহাৰৰ ৪১ লাখ ২৫ হেজাৰ উর্দুভাষী, ১১ লাখ ৭০ হেজাৰ বঙালীয়ে হিন্দী প্রশাসনীয় ভাষা মানি লৈছে। পশ্চিমবংগত ১৯ লাখ হিন্দী-ভাষী, ছাৰে এঘাৰ লাখ সাওঁতালী, ছাৰে আঠ লাখ উর্দুভাষী আৰু চাৰে পাঁচ লাখ নেপালীয়ে কি পাইছে?

আজি অসমৰ নতুন বহিৰাগতসকলক অসমৰ সংহতি কোনোপ্রকাৰে ব্যাহত নকৰাবলৈ আহ্বান জনাওঁ। বিশেষকৈ যিসকলে এই ৰাজ্যলৈ আশ্রয় বিচাৰিয়েই আহিছিল, সেইসকলেই যদি উভতি যহে, তেতিয়া হ'লে আমি ক'বলগীয়া হয়; ঠাই

দিবৰ গুণ, টপ্‌টপনি শুন! আমাৰ ৰাষ্ট্ৰৰ তথা ৰাজ্যৰ প্ৰতি আনুগত্য সিসকলৰপৰা আশা কৰা ভুল কথানেকি? এসময়ত পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদৰ দৰে পণ্ডিতে অসমৰ প্ৰত্নতত্ত্ব উদঘাটন কৰি বহুতো সমল উলিয়াইছিল। নতুন চামৰ ভিতৰতো দুই-এজন বঙালী পণ্ডিতে অসমীয়া সাহিত্য সংস্কৃতিৰ ভাল গৱেষণা কৰিছে। অসমৰ হিন্দীভাষী সমাজৰপৰাও কেইবাজনো অসমীয়া সাহিত্যপ্ৰেমী লোক ওলাইছে। তেওঁলোকৰ তৰ্জমাৰ যোগেদি অসমীয়া গল্প আৰু কবিতা বাহিৰত জনাজাত হৈছে, কিন্তু এই সুঁতিবোৰ আৰু কোবাল হোৱাটো বাঞ্ছনীয়। তেতিয়া হ'লেহে ৰাজ্যৰ মাজত শান্তি-সম্প্ৰীতি বাঢ়িব।

অসম সাহিত্য সভাই কাৰ্বি ভাষা-সংস্কৃতি বিকাশৰ বৰ্তমানে এখনি আঁচনি হাতত লৈছে। মই সভাৰ প্ৰধান সম্পাদক থকা কালত 'অসমৰ জনজাতি', 'অসমৰ জনজাতীয় সাধু', 'মিকিৰ জনজাতি', খাছি আৰু গাৰো ভাষাত অসমীয়া শিকা পুথি আদি প্ৰকাশ কৰিছিলোঁ, অৰুণাচললৈ সঁজাতী দল নিছিলোঁ। এনেধৰণৰ আন্তৰ্ভাষিক সম্পৰ্ক-স্থাপন, সাংস্কৃতিক আদান প্ৰদানৰ পৰাহে দেশৰ সংহতি বাঢ়ি সৎসাহিত্য সৃষ্টিৰ সুগম পথ মুকলি হ'ব পাৰে।

স্নেহৰ অৰুণাচল : মাই হিল্‌ছ ছো ষ্ট্ৰং

আজি উত্তৰ-পূৰ সীমান্ত অঞ্চলৰ পাঁচখন সীমান্ত জিলাক লৈ অৰুণাচল ৰাজ্য গঠিত হৈছে। এই কাষই সীমান্তবাসীক বাইজৰ আত্মবিকাশত সহায় কৰিব বুলি সৰ্বান্তঃকৰণে আশা কৰিছোঁ। কিন্তু লগতে কামনা কৰোঁ যেন অৰুণাচলত অৰুণাচলৰ স্থানীয়লোকৰ সংহতি আৰু বিকাশত বাধা দি সি যেন আন সুবিধাবাদীসকলৰ চৰণীয়া পথাৰ হৈ নপৰে। আমাৰ নিজৰ অভিজ্ঞতাৰপৰা তেনে এক আশংকাৰযে স্থল নাই, এনে নহয় বুলি মাজে মাজে ভাৰ হয়। অৰুণাচলৰ একেখন কলেজক গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুকৰপৰা অঁতৰাই নি উত্তৰ-পূৰ পাৰ্বত্য বিশ্ববিদ্যালয়ৰে লগলগাই দিয়া হৈছে। তাৰদ্বাৰা অসমীয়া ভাষা-সংস্কৃতিৰ লগত অৰুণাচলবাসী সম্পূৰ্ণ বিচ্ছিন্ন হোৱাৰ আশংকা জন্মা স্বাভাৱিক। এই বিচ্ছিন্নতাক অৰুণাচলবাসীয়ে প্ৰথমৰপৰা ৰোধ কৰি আহিছিল আৰু সি এক ক্ৰমবৰ্দ্ধ ষড়যন্ত্ৰৰ ফলৰূপেহে সিদ্ধ হৈছিল, এই কথা বুজিবলৈ যোৱা কুৰি বছৰৰ ঘটনাৱলীলৈ চকু ঘুৰাই চালেই হ'ব। অসম আৰু অৰুণাচলৰ সম্বন্ধ আজিৰ নহয়, যুগমীয়া। সেই সম্বন্ধ ছাইৰ আলি নহয়, শিলৰ সেন্দুৰীয়া আলিহে। সেই সম্বন্ধৰ মাধ্যম অসমীয়া ভাষা। ভাৰতীয় সংবিধানে আশা দিছিল এই চিৰদিনীয়া সম্বন্ধ ৰক্ষা কৰি অৰুণাচলবাসীক আৱশ্যকীয় ৰক্ষণাৱেক্ষণ দি সীমান্তৰ অসমৰ মিলন ঘটোৱা হ'ব; কিন্তু উদক ভেঁটাৰষীয়া দিয়াৰ দৰে যিসকল কৰ্মচাৰীক সীমান্তৰ কাৰ্যত নিয়োগ কৰা হ'ল, তেওঁলোকে আদিৰপৰা এই আদৰ্শৰ বিৰোধিতা কৰি অসমীয়া ভাষাক সীমান্তৰপৰা বহিষ্কাৰ কৰাৰ এটা গোপন অভিযান আৰম্ভ কৰিলে। অসমীয়াৰ বাহিৰে আন কোনো ভাৰতীয় ভাষাৰ যোগেদি অৰুণাচলবাসীৰ লগত ভাৰতৰ সম্পৰ্কযে সহজ হ'ব নোৱাৰে, এই কথা ভাৰতৰ ঐক্যকামীসকলে বুজিবলৈ বাকী ৰাখে কিয়? যাৰ লগত অৰুণাচলবাসীৰ তেজ-মঙহৰ সম্বন্ধ, যুগ-যুগান্তৰৰ ঐতিহাসিক সম্পৰ্ক সেইসকলৰ লগত বিৰোধ সৃষ্টি কৰি অৰুণাচলবাসীক ভাৰতীয় কৰিবলৈ যোৱাটো এটা অনৈতিহাসক আৰু একপ্ৰকাৰে অবাস্তৱ প্ৰস্তাৱ। এই প্ৰস্তাৱ অৰুণাচলত জীণ যাব, আমি এতিয়াও আশা কৰা নাই। এই প্ৰস্তাৱৰ পাতনিতে তাৰ ডেকাসকল জিকমিকাই উঠিছিল। ১৯৫৯ ৰ ৯ ছেপ্টেম্বৰ তাৰিখে দাইং ইৰিং প্ৰমুখ্যে তৰুণসকলে ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ পঠোৱা স্মাৰক পত্ৰতে সাৱধান কৰি দিয়া হৈছিল, বিশেষকৈ সীমান্তৰ শিক্ষাবিভাগৰ কৰ্মচাৰীৰ এনে ষড়যন্ত্ৰ নুশুচিলে সীমান্তত আৰু এখন বিদ্ৰোহী নগাপাহাৰৰ সৃষ্টি হ'ব। দিহং, দিহাং, লুইত, ছিয়াং, ছিয়মেদি বহুত পানী বৈ গ'ল। ৰজাঘৰীয়া হাতী, টিকায়ো নকৰে কাতি। সীমান্তৰ শিক্ষানীতিয়ে অলপ কাতি-কুতা কৰিলেও, অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰা হ'ব বুলি ছুহুছুহাই থাকিলেও, অসমীয়া শিক্ষক ঠায়ে ঠায়ে নিয়োগ কৰা হ'লেও মূল অসমীয়া বিৰোধী নীতিৰ লৰচৰ ন'হল যাতে ইচ্ছা কৰিলেই তেওঁলোকে সীমান্তৰ লুইতখনক অসমৰ বুকেদি বোৱাৰপৰা ক্ষান্ত ৰাখি মহেন্দ্ৰোদাৰো-হৰপ্পাৰ টিঙনাইদি চোঁচৰাই লৈ যাব পাৰে। সাধাৰণ সাংস্কৃতিক নীতিতো একে ধৰণৰ বিভেদকামী মনোভাৱেই ধৰা দিবলৈ ধৰিলে। নগাৰ ৰজা নৰোত্তমৰ গুৰু শ্ৰীৰামদেৱৰ বংশধৰ এজন তেওঁৰ নকটে শিষ্যসমাজলৈ যাওঁতে ধৰি আনি জৰীমনা কৰা হ'ল। তাৰ বাবে নষ্টৈসকলৰ মনত যথেষ্ট আঘাত পৰিছিল। নষ্টৈসকলৰ বৈষ্ণৱ ধৰ্মৰ ভক্তৰ ভেৰিয়াৰ এল্‌ৰিনে কোৱা দৰে 'ছিম্পোল ফৰ্ম্' হ'লেও তাত মালিন্য নাই। এই বিষয়ে এল্‌ৰিনৰ লগত মই উত্তৰ কটা-কটি

কৰাৰ মূৰত নৰোত্তমৰ বিষয়ে লেখা মোৰএটা প্ৰবন্ধ পঢ়ি তেওঁ এই কথা স্বীকাৰ কৰেঃ গোসাঁইসকল আৰু সীমান্ত অঞ্চলত তেওঁলোকৰ প্ৰভাৱৰ বিষয়তে মই বৰ উৎসুক আৰু সীমান্তৰ জন-জাতি আৰু সত্ৰবিলাকৰ মাজৰ যি সম্পৰ্ক কোনো ডিভিজনতযে ভাগিছে, তাক পুনঃ স্থাপিত হোৱা দেখিবলৈও মই বৰ ব্যগ্ৰ।' কিন্তু এনে সংস্কৃতিক সম্পৰ্কৰ পুনঃ সংস্থাপনৰ ফালে অৰুণাচল প্ৰশাসনে কিবা কৰিছে যদি মই নাজানোঁ। আজি ৰাজনৈতিকভাৱে অসম-অৰুণাচলৰ বিচ্ছেদৰ জয়জয়কাৰ কৰা হ'ল; কিন্তু তেজ ধুলে উটে, মঙহ ধুলে নুটে। অৰুণাচলৰ ভাই-ভনীসকলক আমি এৰিব নোৱাৰো; সিসকলেও আমাক এৰিব বুলি ভবা নহয়। অৰুণাচলৰ তিনিখন জিলাত ভ্ৰমণ কৰি মোৰ যি অভিজ্ঞতা হৈছিল, সি মধুৰ। তাৰপৰাই ভৈয়ামৰ অসমৰ প্ৰতি তেওঁলোকৰ প্ৰাণৰ হেঁপাহ বুজিব পাৰিছিলোঁ। আগৰদৰে সাহিত্য সভাই অৰুণাচললৈ অসমৰ চেনেহৰ বাৰ্তা কঢ়িওৱা সঁজাতী দল পঠিয়াব লাগে। কাৰণ, গৰুৰ চেলেকা-চেলেকি, মিতিৰৰ আহ-যাহ। সীমান্তৰ এই মিতিৰসকলৰআদৰ-আশ্বাসৰ কথা মনত পৰিলে তেওঁলোকৰ উদাৰতা আৰু সৰলতাৰ মাজতে থাকিমগৈ যেন লাগে। ইংৰাজ কবিয়ে ক'বৰ দৰে মাহ হাৰ্ট ইজ্ ইন দ্য হিল্ছ হেৰেভাৰ আই ৰ'ম্। সীমান্তৰ লুম্মেৰ দাই, টাগাং টাকিয়ে বহুত দিন অসমীয়া সাহিত্যৰ সেৱা কৰি আহিছে আৰু স্বীকৃতিও পাইছে। অসমৰপৰা সুকীয়া হৈ যোৱাৰ পিছতো নগাভূমিয়ে অসমক পাহৰা নাই, অসমীয়া ভাষাও পাহৰিব পৰা নাই। বৰং সেই ভাষাক আপোন নাম দি লৈছে নাগামিজ্। সিদিনা দেখিলোঁ আকাশবাণীয়ে এখন বিজ্ঞাপন দিছে নিফা-এছামিজ্, অৰুণাচলী অসমীয়া ভাষাত কথা কোৱা ঘোষক লাগে। এতিয়া দেখা যায় অৰুণাচল প্ৰশাসনে এৰিও অসমীয়া ভাষাক এৰিব নোৱাৰিব। গতিকে সীমান্তৰপৰা অসমীয়া শিক্ষকক বিদায় দিয়া, অসমীয়া ভাষাক পঢ়াশালিবোৰৰপৰা আঁতৰোৱা আদি অস্বাভাৱিক ব্যৱস্থাবোৰ প্ৰশাসনে পৰিহাৰ কৰি অসমীয়া ভাষা শিক্ষাৰ মাধ্যমৰূপে গ্ৰহণ কৰি, জনজাতীয় ভাষাৰ বাবে অসমীয়া লিপি প্ৰবৰ্তন কৰি বাস্তব দৃষ্টিভংগীৰ পৰিচয় দিব বুলি আমি কেতিয়া আশা কৰিব পাৰিম?

উদয়াচলৰ বড়োসকলেই যদি অসমীয়া নহয়, অসমীয়া কোন?

আমি সদায় চিয়াঁৰি চিয়াঁৰি কৈ আহিছোঁ, 'কছাৰীসকল অসমীয়া জাতিৰ এটি বিশিষ্ট অংগ, অসমীয়া সংস্কৃতিৰ বুনিয়াদ-ই-বুনিয়াদ। বুৰঞ্জীয়ে নকয় তেওঁলোকে কিমান সুদীৰ্ঘকাল ধৰি কি প্ৰতাপেৰে এই পূৱ ভাৰতৰৰাজত্ব কৰিছিল; কিন্তু ডিব্রু, দিখৌ, দিচাং, দিহং, দিহাং, দিহিং, দিবাং আদি নৈৰ নামবোৰেই কৈ দিব বড়ো সংস্কৃতিৰ সাঁচ অসমৰ মানচিত্ৰত কিমান গভীৰ। প্ৰাগ্জ্যোতিষ, কামৰূপ, লৌহিত্য, কামতা, সৌমাৰ-কাম, অসম, উদয়গিৰি আদি বিভিন্ন নামেৰে বিভিন্ন কালত জনাজাত ভাৰতৰ এই পূৰ্বাঞ্চলত মানুহৰ বসবাস কেতিয়াৰপৰা হ'ল জানিবৰ এতিয়াও উপায় ওলোৱা নাই। বেদ পুথিবোৰ লেখা নৰ্ডিকসকলে যাক কিৰাত নাম দি উল্লেখ কৰিছে, সেইসকলেই আজি-কালি মংগোলীয় নামে জনাজাত বড়ো-কছাৰী আদি অসমৰ বিভিন্ন জনজাতিৰ গুৰি মানুহ বুলি অনুমান কৰা কৰা হৈছে। যজুৰ্বেদৰ ব্ৰাহ্মণ-সংহিতাৰ 'গুহাভ্যঃ কিৰাতম্' কথাটোৰপৰা আমি বুজিছোঁ, সেই কালত নৰ্ডিক আৰু মংগোলীয়ৰ সংস্পৰ্শ ঘটিছিল আৰু নৰ্ডিকে মংগোলীয়ানসকলক পাৰ্বত্য অঞ্চল নিবাসী বুলি জানিছিল। এই বেদৰ পিছৰ সংস্কৃত গ্ৰন্থবোৰৰপৰা দেখা যায়, মংগোলীয় জনগোষ্ঠী পশ্চিম হিমালয়ৰপৰা পূৱ হিমালয় প্ৰদেশলৈকে বিয়পি পৰিছিল। মহাভাৰত আৰু ৰামায়ণৰপৰা ভাৰতীয় মংগোলীয়সকলযে উচ্চ এক সংস্কৃতিৰ বাহক আছিল, এই কথা জনা যায়। উজ্জ্বল তেওঁলোকৰ গাৰ পীত ৱৰণ-কাঞ্চন-দ্রুম-সন্নিভ বা কৰ্ণিকাৰ ফুলৰ নিচিনা। নানাপ্ৰকাৰ বনজ, খনিজ আৰু শিল্পজ দ্ৰব্য আনসকল ভাৰতীয়ই তেওঁলোকৰপৰা পাইছিল। কপাহ আৰু উৰ্ণাৰ নানাবিধ বস্ত্ৰৰ শিল্প তেওঁলোকে তেতিয়াই গঢ়ি তুলিছিল। মহাভাৰততো কিৰাত পৰ্ব নামে এটি পৰ্বই আছে, অৰ্থ-গৌৰৱ-ভৰা ভাৰৱিৰ সংস্কৃত কাব্য 'কিৰাতাৰ্জুনীয়'ই আছে য'ত শিৱ আৰু পাৰ্বতী হ'ল কিৰাত আৰু কিৰাতী। এই কথাটিৰ লগত 'কালিকা-পুৰাণ'ৰ শিৱ কিৰাতসকলৰ মাজত অন্তৰ্গুপ্ত হৈ থকা কথা আৰু 'যোগিনী-তন্ত্ৰ'ত কালিকা-পীঠৰ সকলো ধৰ্মক কৈৰাতজ বোলা কথাটি যোগ দিয়ক। এইবোৰ দেখাত অসংলগ্ন কথা হ'লেও তাত ইতিহাসে হাড়যোৰ লগোৱা বন লগাই সংলগ্ন কৰিব পাৰে। মুঠতে ভাৰতীয় সংস্কৃতিৰ যিটি পূৰ্বাঞ্চলীয়ৰূপক আমি উনবিংশ আৰু বিংশ শতিকাত অসমীয়া সংস্কৃতি বুলি জানিছোঁ আৰু মাতিছোঁ, তাক পন্তন দিয়ে এই কিৰাতসকলেই। অষ্ট্ৰিক-দ্ৰাবিড়-নৰ্ডিকৰ মিশ্ৰণৰ ফল-স্বৰূপে ভাৰতীয় সংস্কৃতিৰ ঘাইভেটি বান্ধিছিল

সংস্কৃত ভাষা আৰু সংস্কৃতৰপৰা উদ্ভূত নব্য ভাৰতীয় ভাষাবোৰে। পূৰ্বাঞ্চলতো তাৰ ব্যতিক্রম হোৱা নাছিল। ইয়াৰ সহজ কাৰণ এয়ে যে সংস্কৃতি আৰু শাসনৰ বাহনস্বৰূপে এই সংস্কৃত আৰু সংস্কৃতজ ভাষাবোৰৰ শক্তি ভাৰতৰ আন যেই কোনো গোষ্ঠীৰ ভাষাৰ শক্তিতকৈ প্রকৃষ্ট। অসমত নর্ডিক আর্যৰ বসতি আৰু এই প্রান্তৰ আর্যীকৰণ কেতিয়া আৰম্ভ হ'ল, স্পষ্টকৈ ক'ব নোৱাৰি। ডক্টৰ কাকতিয়ে এই আর্যীকৰণ প্রক্রিয়া খ্রীষ্টীয় দ্বিতীয় শতিকাত ধৰিছে। এই অনুমান সমীচীন যেনেই লাগে। দেখা যায়, চতুর্থ শতিকাত ৰাজত্ব আৰম্ভ কৰা পুষ্যৱর্মা আদি বংশৰ ৰজাসকলে সংস্কৃতকে প্রশাসনীয় ভাষাস্বৰূপে গ্রহণ কৰিছিল; কিন্তু তেওঁলোকেনিজে সংস্কৃত-ভাষা নর্ডিক আছিল যে, সন্দেহৰ বিষয়। তেওঁলোক ম্লেচ্ছাধিনাথ। তেওঁলোকে নিজৰবংশলতা টানিছে 'কিৰাতৈশ্চ চীনৈশ্চ বৃত' হৈ কুৰুক্ষেত্র সমৰত প্রবৃত্ত হোৱা ভগদত্তৰপৰা। এই প্রাগ্‌জ্যোতিষসকলৰ ৰজাসকল যি গোষ্ঠীৰে হওক লাগিলে তেওঁলোকে সংস্কৃত গ্রহণ কৰাৰপৰাই 'অসমীয়া' নামৰ ভাষা আৰু সংস্কৃতিৰ পতন হ'ল। সেই ভাষা-সংস্কৃতিৰ বুৰঞ্জীত মংগোলীয়সকলে আনতকৈ কম বৰঙণি যোগোৱা নাই। বৰং ভাৰতৰ অন্যান্য প্রান্তত বিৰল এই মংগোলীয় দান অসমে লাভ কৰিছে। এতিয়া বড়ো-অসমীয়াসকলে যদি এই বুৰঞ্জী অস্বীকাৰ কৰে, মাকে পোৱালিক বিনচৰীয়া কৰাৰ বিসংগতি উপস্থিত হ'ব। বড়ো-অসমীয়াই যদি অসমীয়া নহয়, অসমীয়ানো কোন, তাক বিচাৰিবলৈ গ'ল পিয়াজটো বখলিয়াই বকুৰ শাহটো উলিয়াবলৈ যত্ন কৰাৰ দৰে হ'ব। সেই দুৰৱস্থাত যেন আমাক আমাৰ এই বুকুৰ বান্ধসকলে নেপেলায়, এয়ে আশা। বড়ো-কছাৰীৰ দৰে এই অঞ্চলৰ সকলো জনজাতীয়লোকৰে দেশ এই অসম। তাক এৰি তেওঁলোকে ক'লৈ যাব?

উদয়াচলৰ দাবী ভৈয়াম জনজাতি পৰিষদৰ; কিন্তু এই পৰিষদত আন জনজাতিৰ কথাকে নকওঁ, বহল কছাৰী সমাজৰ মাজৰ সোণোৱাল-কছাৰী, দক্ষিণ গোৱালপাৰা আৰু কামৰূপ অঞ্চলৰ ৰাভা-কছাৰীসকলো নাই। আন অসমীয়া জনজাতিৰ লগতে সোণোৱালসকলে জানে, তেওঁলোকৰলগত বড়োসকলৰ তেজ-মঙহৰ সম্পর্ক; কিন্তু 'তেওঁলোক এতিয়ালৈ হাড়ে-হিমজুৰে অসমীয়া। ইয়াৰ বাবে তেওঁলোকৰ আক্ষেপ কৰিবলগীয়া একো নাই' (ৰূপনাথ খাখলাৰী, দৈনিক অসম, ২১ জানুৱাৰী ১৯৭৩)। নানা ফালৰ পৰা পৰীক্ষা কৰি চালে আজ পৰিষদৰ দাবী ভাষাগত কিম্বা জন-গোষ্ঠীগত কিম্বা ভৌগোলিক চেতনাৰপৰা উদ্ভূত নহয়। অসমৰ সমস্ত জনজাতিৰ বাবে অসমীয়াৰ বাহিৰে সাধাৰণ এটা ভাষা নাই। জন-গোষ্ঠীগত বা ভৌগোলিক চেতনাৰ ফালৰপৰা এই দাবী উঠা হ'লে সি সমস্ত অসমকেই নহয় মেঘালয়, মিজোৰাম, অৰুণাচল, নগাভূমি, সকলোকে সামৰিব লাগিছিল। কোকৰাঝাৰেই হ'ল বর্তমান উদয়াচল-আন্দোলনৰ কেন্দ্র; কিন্তু মহকুমাটোৰ ৰাজবংশী, চাওঁতালী, নেপালী, কলিতা আৰু মুছলমান জনসংখ্যাত বাদেও বড়োসকলৰভিতৰে বহুতে পৰিষদৰ বিচ্ছিন্নতাবাদ সমর্থন নকৰে। ভৈয়ামৰ জনজাতি পৰিষদ বা পি, টি, চি, ৰ ফালৰপৰা বিচ্ছিন্ন উদয়াচলৰ দাবীৰ সপক্ষে যুক্তি দেখুওৱা হয় যে অসম চৰকাৰ আৰু অসমীয়াই বড়োসকলক শোষণ কৰিছে; জনজাতিৰ উন্নয়নৰ অর্থে নিৰূপিত ধন অন্য কামত খৰচ হয় আৰু অজনজাতীয় লোকৰ মতাধিক্যত নির্বাচিত জনজাতীয় এম্, এল্, এ, সকলে জনজাতিৰ প্রতি আনুগত্য নাৰাখে। এনেবোৰ অভিযোগৰ কিছু সঁচা হ'ব পাৰে; কিন্তু অভিযোগবোৰ অর্ধসত্যহে। অর্ধসত্যৰ ওপৰত প্রতিষ্ঠিত তত্ত্ব আৰু প্রয়োগ সদায়েই বিপজ্জনক। জনজাতীয় লোকসকলৰ অনুন্নত অৱস্থালৈ লক্ষ্য ৰাখি ব্রিটিঃশৰ অসম চৰকাৰেই ১৮৮৬ চনৰ ভূমি ৰাজত্ব অধিনিয়ম অনুসৰি যি মাপৰ বিকাশৰ বাবে তেত্রিছটা জনজাতিৰ বেল্ট আৰু ব্লক নিৰূপণ কৰে। এই আছুতীয়া অঞ্চল আৰু খণ্ডবোৰ মুঠ ৫,৭০৪ বর্গমাইল মাটিৰ কোনো কোনো ভাগত অজনজাতীয় লোক বহুবাই অঞ্চল আৰু খণ্ডবোৰ অসম চৰকাৰে সংকুচিত কৰি পেলাইছে বুলি আপত্তি তোলা হৈছে। যদি এয়া হৈছে, সি বহুতদিনীয়া ঘুৰঞ্জী হ'ব লাগিব। তাৰ প্রতিকাৰ নিশ্চয় বাঞ্ছনীয়। জনজাতীয় উন্নতিৰ অর্থে ৰাজস্ব নিয়মৰ ২৭৫ ধাৰাত থকা কোষ যদি অন্য বিষয়ত খৰচ হৈছে, সিকি পৰিস্থিতিত হৈছে, তাকো বিচাৰ কৰিব লাগে। কোকৰাঝাৰ অঞ্চলত যদি বড়োক অবড়োৱে শোষণ কৰিছে, কোন অবড়োৱে কৰিছে? নগাৰ ভিতৰৰ দুহেজাৰ বড়োক এহেজাৰ থলুৱা অবড়োৱে কৰিছে নে বড়ো-অবড়ো কাৰো লগত জীণ নোযোৱা প্রায় পোন্ধাহেজাৰৰ অবড়ো সম্প্রদায়ে কৰিছে? এইটো কথা ঠিক যে বড়ো বাইজৰ অসন্তুষ্টিৰ প্রধান কাৰণ অর্থনৈতিক অস্বস্তি; কিন্তু তাক অটিলা কৰি ৰাজনৈতিক মুনাফা উলিয়াৰ খোজাসকলে পৰিসংখ্যা ঠিক কৰক, মহকুমাটোৰ ধানকল, কাঠকল, আটাকল, ঘম-তেল-চাবোনৰ কাৰখানা কাৰ হাতত? বাহুবোৰ কোনে চলায়? মহাজনী কাৰবাৰ কোনে চলায়? এইবোৰ বিচাৰ নকৰিলে 'হাতী চুৰ কৰি যায় আগ বাঢ়ি বেঙেনা চোৰক ধৰা'ৰ দৰে অবাস্তৱ কথা হ'ব আৰু অনে মিছা অভিযোগৰ মূলতেৱে কাৰবাৰ ষড়যন্ত্রহে আছে, তেনে ধৰা পৰা

কথাহে হ'ব। বড়ো অধ্যুষ্ট গাঁৱলীয়া অঞ্চলত যি অর্থনৈতিক বিপর্যয় হৈছে, সি কেৱল জানো বড়োৱে? সমস্ত অসমতেই দেশৰ সাম্প্রতিক অর্থনৈতিক বিৱর্তন চলিব লাগিছে। অতি ধীৰে হ'লেও দেশত ইণ্ডাষ্ট্রিয়েলিজেশ্যন আৰু আৰ্বানিজিশ্যন, উদ্যোগীকৰণ আৰু নগৰীকৰণ প্রক্রিয়া আগবাঢ়িছে। তাৰ ফলত নগৰৰ হেঁচাত গাঁও আৰু কৃষিৰ সংকোচন চলিছে। অসমত ধনিক সম্প্রদায় এটা গঢ় লৈ উঠিবনে ক'ব নোৱাৰোঁ; কিন্তু উচ্চ আৰু নিম্ন মধ্যবিত্তই নিজকে প্রতিষ্ঠা কৰিবৰ ছল বিচাৰি হুৱা-দুৱা লগাই আছে। এইসকলৰ হেঁচা বিশেষকৈ মাটিৰ ওপৰতে পৰিছে আৰু তৰ বাবে জীৱন-ধাৰণৰ ক্ষীণ উপায়ত নির্ভৰশীলসকলৰ দুর্ভোগ ঘটিছে। এই ঘটনা মাত্র জনজাতীয় খেতিয়াকৰে হৈছে, এনে নহয়। সকলো শ্রেণীৰ দুখীয়া লোকৰে সেই দুর্গতি। তাৰ নিৰাকৰণ কৰিবলৈ হ'লে জনজাতীয়-অজনজাতীয় সকলোৰে বাবে ব্যৱস্থা লাগিব। সিয়েইহে চৰকাৰৰ আৰু দেশৰ সকলো কল্যাণকামীৰ সমস্যা। নিষ্পেষিতসকল নিজেও এই বিষয়ত সচেতন হ'ব লাগিব। দেশৰ বিভাজন জনতাৰ অর্থনৈতিক সামাজিক মুক্তিৰ পথ নহয়।

সেউজী পাতৰ কাহিনী :

আমাৰ মাজতে আৰু এখনি সমাজ আছে যাৰ প্রতি অসম সাহিত্য সভা তথা অসমীয়া সাহিত্যিকসকলৰ বিশিষ্ট এক কর্তব্য আৰু দায়িত্ব আছে। এই সমাজখনি হ'ল চাহ-মজদুৰ অসমীয়া সমাজ। কোনোৱে সেইসকলক চাহ-মজদুৰ জনজাতি বুলি কৈ ভাল পালেও মই তেওঁলোকক চাহ-মজদুৰ অসমীয়া বুলিব লাগে বুলি ভাবোঁ। সঁচা কথা যে সিসকল অসমৰ আদিবাসী নহয় ৰৰং ওচৰ-চুবুৰীয়া বংগ, বিহাৰ, উৰিষ্যাকে ধৰি মধ্যভাৰত, ছোটনাগপুৰকে কেন্দ্র কৰি, নিলগৰ তামিলনাড়ু, মহাৰাষ্ট্রৰ বিভিন্ন জনজাতিৰ মাজৰপৰা যোৱা এশ-ডেৰশ বছৰৰ ভিতৰত সিসকল আহিছে। সিসকলে কিন্তু অসমীয়া মানুহক ভাই বুলি সাবটি ধৰিছে, অসমীয়াৰ সুখ-দুখক নিজৰ সুখ-দুখ কৰিলৈছে আৰু নিজেই অসমীয়া হৈ পৰিছে। সমগ্র ভাৰতৰ ৩ লাখ ৯৬ হেজাৰ মেট্রিকটন চাহ উৎপাদনৰ ভিতৰত ২ লাখ ১৫ হেজাৰ টনেই অসমৰ প্রায় ৭৬০ খন চাহ বগিচাই উৎপাদন কৰে আৰু তাৰ বাবে শ্রম কৰে এই চাহমজদুৰ অসমীয়াসকলে। অৱশ্যে অসমৰ চাহ খেতিৰ লভ্যাংশ আৰ্জে নন্দ গুৱালে, খায় বোন্দা শিয়ালে। সি যি নহওক, চাহ-মজদুৰসকলে অসমকে নিজৰ মাটি বুলি কামোৰ মাৰি ধৰিছে। চীনৰ আক্রমণৰ সময়তযেতিয়া অসমত ধন ঘটি লাখপতি হ'ব খোজাসকল 'ঘৰলৈ' বুলি পলাইছিল, সেই সময়ত এইসকলে শতুৰুক মাৰিবলৈ ইয়াতে বহি বিহ-কাঁড় সাজু কৰিছিল। এগৰাকী চাহ-মজদুৰৰ কন্যাৰ মর্ম-বাণী : "আন ভাষা-ভাষী লোকৰ প্রৰোচনাত আমি অসমীয়া বিৰোধী ধ্বনি তুলিলে আমাৰ অভাৱনীয় ক্ষতি হ'ব।আন ভাষা-ভাষীলোকৰ নিজ নিজ প্রদেশত মাটি-বাৰী আছে, আমাৰ নাই। গতিকে ক'লৈ যাম? অসমীয়া মৰিলে আমিও মৰিম।" মই কওঁ, মই যদি অসমীয়া এই ভাই-ভনীসকলো মোৰসমানেই অসমীয়া। যিজন মহাপুৰুষে অসমৰ জনজাতীয়সকলক হৰিভকত বুলি সাবটি ধৰিছিল উদাৰ মানবতাবোধত, সেই শংকৰদেৱৰ বিভেদনাশী ধর্ম এই ভাই-ভনীসকলে গ্রহণ কৰিছে, সিজনাৰ গীত গাই, বাজনা বজাই ভাওনাত ভাও লৈ মানৱৰ মাজত সকোল কুণ্ঠা গুচাই বৈকুণ্ঠ সৃষ্টি কৰিছে। অসমৰ বিহুৱে তেওঁলোকক মতলীয়া কৰিছে; 'আসাম দেশৰ বৈশাখ পৰৰ লাগে বৰ ভাল' বুলি চাহ-মজদুৰ ডেকা-গাভৰুৱে প্রাণ-প্রিয় ঝুমুৰৰ সুৰ টানিছে। সিসকলৰ ঝুমুৰ-গীতৰ সুৰ, ঝুমুৰ-নাচৰ লয়ে আমাৰ কণ্ঠৰ, আমাৰ ভৰিৰ নেপুৰত লয় তুলিছে। ঝুমুৰ আজি আমাৰ সম্পদ। চাহ-শ্রমিক অসমীয়াৰমাজৰপৰা নাৰায়ণ ঘাটোৱাৰ, ছত্রগোপাল কর্মকাৰ, দেউৰাম তাহ্য আদি সুলেখকে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিবলৈ আগবাঢ় আহিছে। আমিও সিকলক সাদৰ অভিবাদন জনাইছোঁ। এই সাহিত্য-সংস্কৃতিৰ পথেদি আগবাঢ়িলেই আমি আমাৰ মাজৰ বন্ধন আৰু বিভেদ কাটি মুকলিভাৱে মিলিত হ'ব পাৰিম। মই দুবছৰ আগতে চাহ-মজদুৰ ছাত্রসকলক যি কৈছিলোঁ, তাক ইয়াত দোহাৰিব খোজা, "আজিৰ সনাতন হিন্দুধর্মৰ বিষ্ণু আৰু বৈষ্ণৱধর্ম, শিৱধর্ম, দেৱী আৰু শাক্ত ধর্ম বৈদিক আর্যসকলৰ সম্পত্তি নাছিল। সেইখিনি সম্পদ কোনোৱা প্রাগ্ঐতিহাসিক দ্রাবিড়, নিষাদ বা কিৰাতৰপৰাই হিন্দু সমাজে গ্রহণ কৰিছে। কোনে জানে, আপোনালোক জনজাতীয় পূজা-পার্তলৰ মাজতে তাৰ উৎস নাছিল? বৈষ্ণৱসকলৰ পৰমভক্তজনীয় কৃষ্ণদেৱেইতো জনাতীয়; তেওঁ যাদৱ, তেওঁ অহিৰ; এই যাদৱ বা অহিৰ আজিও অনুসূচীতসকলৰ মাজতহে। এইধৰণে তথাকথিত সিহু-পৰাসকলৰ সম্পদক শ্রেষ্ঠ স্থান দিয়ে ভাৰতীয় সংস্কৃতিয়ে আত্মসম্পূর্ণতা লাভ কৰি আছে। এই দৃষ্টিকণাই আমি সেই বিচিত্র সংস্কৃতিৰ অধ্যয়ন কৰিব লাগিব। তেতিয়া হ'লে আমাৰ বোধ জন্মিব ভাৰতৰ কোনো শূদ্র নহয়, ক্ষুদ্র নহয়। এই আত্মবোধ আমাৰ প্রগতিৰ পথৰ সম্বলৰূপে আৱশ্যক হৈছে।

বিনিময় নহ'লেনো ক'ৰবাত সংস্কৃতি জীয়াই থাকেনে? দিবে আৰু নিবে, মিলাবে মিলিবে, যাকেনা ফিবে এয়ে সংস্কৃতিৰ মূলমন্ত্ৰ।"

নেপালী ভাইসকল : জানু পৰোকাক্কী নানি জার্মানকা ধারমাঃ

কর্মকুশল নেপালীসকলৰ কথা ভাবিলেই মনত পৰে, এই গীতটিঃ হাতমা গোলী কঁধমা বন্দুক, জানু পৰোকাক্কী নানি জার্মানকো ধারামা। মনত পৰে গোর্খা ৰেজিমেণ্টৰ কথা, অসমৰ হাবিয়ে-চাপৰিয়ে গৰুখুটি পতা নেপালী গোৱালাসকলৰ কথা, অসমৰ কার্যালয়বোৰত নিযুক্ত চতুর্থ শ্রেণীৰ কর্মচাৰীসকলৰ কথা। নেপালৰ লগত অসমৰ সম্বন্ধ অতি পুৰণি। হর্ষাব্দ ১৫৩ ৰ নেপালৰাজ দ্বিতীয় জয়দেৱৰ পশুপতি শাসনত ৰাণী ৰাজ্যমতীক 'ভগদত্ত ৰাজকুলজ' বোলা হৈছে আৰু তাৰপৰা ৰাজ্যমতীৰ পিতা হর্ষদেৱক কামৰূপৰ হর্ষবর্মদেৱ বুলি কনকলাল বৰুৱাদেৱে নির্ণয় কৰিছে। কোচৰেহাৰ ৰাজ্য প্রতিষ্ঠা কৰা বিশ্বসিংহই নেপালৰপৰা ৰক্তকান্তিক বিৰাহ কৰিছিল আৰু তেওঁৰ কোঁৱৰ নৰসিংহক অতীৰ আদৰ কৰিছিল। সেই পুৰণি কালৰ পৰা এই প্রদেশলৈ নেপালী লোক আহিছিল বুলি অনুমান কৰিব পাৰি। শংকৰদেৱৰ ভাগৱতত উল্লিখিত জাতিৰ ভিতৰত গোৱালসকল এই নেপালী বুলিয়ে অনুমান হয়; কিন্তু যোৱা শতিকাৰ আৰম্ভনিৰপৰাহে অসম তথা ভাৰতৰ অন্যান্য ঠাইলৈ নেপালীসকলৰ প্রব্রজনৰ ইতিহাস পোৱ যায়। ১৮১৬ ছনৰ ইংৰাজ-নেপালীৰ সুগৌল-সন্ধিক্রমে গড়ৱাল, কুমাওন, ছিমলা, নৈনিতাল, তৰাই অঞ্চল আদি এক বহল ভূখণ্ড নেপালে ব্রিটিঃশক এৰি দিয়ে। লগে লগে লাখ লাখ নেপালী ভাৰতীয় প্রজা হৈ পৰিল। নিপুণ যুঁজাক অনেক নেপালী ব্রিটিঃশৰ ভাৰতীয় সৈন্য দলত সোমাইছিল আৰু অৱসৰৰ পিছত তেওঁলোক ভাৰতীয় হৈ ৰৈ গৈছিল। ইয়াৰ পিছতো গো-পালক-ৰূপে, বনুৱা-হিচাপে অন্নৰ সন্ধানত অলেখ নেপালী ভাৰত তথা অসমলৈ আহি ইযাত আছে। কামাখ্যা-পৰশুকুণ্ডলৈ তীর্থ-যাত্রাত অহা নেপালৰ লোকে ইয়াত ৰৈ যোৱা বিৰল নহয়। অসমৰ অনেক নেপালীৰ চাৰি-পাঁচ পুৰুষে বোধ হয় অসমতে হাৰ পেলাইছে বা ইয়াৰে বতাহ-পানী খাই ডাঙৰ হৈছে। স্থানীয় লোকৰ লগত আনুভূতিক গাঢ় সংযোগৰ কথা অসমীয়া লোকগীতত প্রতিধ্বনিত হৈছে। তেওঁলোকৰ ভাগ্য স্থানীয় ভাগ্যৰ লগত নিবিড়ভাবে জড়িত হৈ পৰিছে, স্থানীয় লোকৰপৰা তেওঁলোক আজি অবিচ্ছেদ্য হৈ পৰিছে। তেওঁলোকৰ অর্থনৈতিক দুঃস্থতা আছে; কিন্তু সেযা তেওঁলোকৰ সুকীয়া সমস্যা নহয়, সকলোৰে সমস্যা। অস্থায়ীভাৱে থকা কোনো লোকে যদি নিজৰ সমস্যাক সুকীয়া কৰি চাৰ খোজে, সেইটো অবাঞ্ছনীয় বহির্মুখী মনোভাৱ হ'ব। অসমৰ নেপালীসকল সর্বপ্রকাৰে অসমীয়াই। এই নেপালী অসমীয়াসকলো আনসকলৰ সুখ-দুখ আন্দোলন-আলোচনাত আনৰ সমানেই যোগ দিছে। ভাৰতৰ মুক্তি আন্দোলন, গ্রুপিঙৰ বিৰুদ্ধে আন্দোলন, সংৰক্ষিণী সভাৰ দলদোপ-হেন্দোলদোপ, শংকৰ সংঘৰ ভকতীয়া কাম, শাসকীয় ভাষা আৰু বিশ্ববিদ্যালয়ৰ মাধ্যমৰূপে অসমীয়াক প্রতিষ্ঠা কৰাৰ আলোড়ন — এই সকলোতে আনৰ বাহুত নিজৰ বাহু লগাই নেপালী-অসমীয়াসকল আগ বাঢ়িছিল। আমাৰ বন্ধু হৰি প্রসাদ গোর্খা বায়যে নেপালী, সেই কথা আমি বিশ্বাস কৰিবলৈ টান পাও। তেওঁৰ দান অসমীয়া ভাষাই সম্মানিত দানৰূপে গ্রহণ কৰিছে। ধন বাহাদুৰ সোণাৰ বা হৰিভক্ত কটোৱাল বা নাৰদ উপাধ্যায় বা লক্ষ্মী উপাধ্যায়ৰ কথাকেবা আমি পাহৰি যাব পাৰোনে? নেপালী গীত-নাচে আমাৰ অংগক হিল্লোলিত কৰিছে। অসমীয়া বিহুৰ ছেৱত নেপালী ডেকা-গাভৰুৰ মন আৰু তনুত ডেকাধনি লাগিছে। পূৰ ইউৰোপত তিনিবছৰ পূর্বে ভ্রমণ কৰোঁতে ভাৰতৰ এই অঞ্চলৰ লোকগীতৰ বক্তৃতা দিওঁতে মই নেপালী-অসমীয়াসকলৰ গীতো সি সি দেশৰ সংগীতানুৰাগীসকলক শুনাবলৈ পাহৰা নাছিলোঁ। এগৰাকী নেপালী-অসমীয়া নেতাৰ কথা কেইটিমানৰ ইয়াতে উদ্ধৃতি দিব খোজোঃ "অসমত নেপালীসকলে বঘুমলা হৈ থাকিব খোজা নাই; কিম্বা শাসন আৰু শোষণৰ মনোভাৱ লৈ ইয়াত থাকিবলৈ চিচা নাই; বিচাৰিছে স্থানীয় অধিবাসীসকলৰ লগত শান্তি আৰু মিলা-প্রীতিৰ মাজত সকলো ধৰণৰ সুখ-দুখৰ সমভাগী হৈ জীৱন-নির্বাহ কৰিবলৈ। — কোনো ধৰণৰ প্রয়োজনাৰ কণ্ডতী নোহোৱাকৈ নিজৰ সৰল ব্যৱহাৰৰ মাজেৰি ক্ষুদ্র জানেৰে ঢুকি পোৱাকৈ নিজাবে কাহৰ গতিত আগবাঢ়ি ঘাৰ খোজে; শহাৰ গতিত লবি-ঝাপৰি হাৰবাৰ হ'ব নোখোজে।" আমাৰ মাজত মিলা-প্রীতি আৰু শান্তি ভংগ কৰা সকলো চেষ্টাকে আমি পৰিহাৰ কৰিব লাগিব। বিগকল ইতিমধ্যেই অসমীয়া জাতিৰ লগত মিলি অসমীয়া জীৱন গ্রহণ

কৰিছে, সেইসকলক এতিয়া সেই জাতি আৰু জীৱন পৰিহাৰ কৰি এৰি থৈ অহা ঘৰৰ কাৰণে হামৰাও কাঢ়িবলৈ শিকোৱাটো নিজে বিহগুটি খাবলৈ ধৰি আনকো সেই খাদ্য গ্ৰহণ কৰিবলৈ কোৱাৰ দৰে কথা হ'ব -- চন্দ্ৰকুমাৰ আগৰৱালা, জ্যোতিপ্ৰসাদ আগৰৱালাৰ বংশ-পৰিয়ালক ৰাজস্থানী শিকাই পুনৰ ৰাজস্থান-মুখী কৰাৰ দৰে কথা হ'ব।

গোৱালপাৰা ঃ গানৰ চৰাই মোৰ ঃ

গোৱালপাৰাকলৈ আমাৰ জাতীয় বুৰঞ্জীৰ বহুত মূৰৰ কামোৰণি গৈছে। লক্ষ্মীনাথ বেজবৰুৱাই 'বাঁহীত কাঁটুন ছপাই উলিয়াইছিল ঃ ৰূপহী গোৱালপাৰাক বঙালী চিলাই উৰুৱাই লৈ গৈছে। বেচেৰীয়ে ভয়ত চিয়াঁৰিছে। অসমীয়া বীৰপুৰুষে কৈছে, 'ৰ'বা, মই ধেনুখন লৈ গৈছোঁ, একেটা বাটলু গুটিতে বঙালী চিলা ঠলৰ্!' 'অসমীয়া গোৱালপাৰাত বঙালীৰ সাহিত্য সভা' লৈ আমাৰ ধনুৰ্ধৰ স্বয়ং বেজবৰুৱাই গাণ্ডীৱত টংকাৰ দিব লগা হৈছে। সেই ধনঞ্জয় চিকুট গ'ল। মাজে মাজে কৃপাবৰ বৰুৱাই কৃপাময় জগদীশ্বৰলৈ চিঠিও দিবলগীয়া হৈছে, যেন কৃপাময়ে গোৱালপাৰা ভাগৰ জমিদাৰসকলক কৈ দিয়ে, তেওঁলোক অসমীয়া মানুহেই নে বিবাহ-সূত্ৰে বঙালীয়ানা পোৱা বঙালী! বংগদেশৰ দৰে চিৰস্থায়ী বন্দোৱস্ত পোৱা জমিদাৰসকল আজিৰ গণতন্ত্ৰৰ যুগত চিৰস্থায়িত্বৰ সিংহাসনৰ পৰা নামি পৰিছে। সেইবোৰ দুঃস্বপ্ন পাৰহৈ গৈছে। এইটো অৱশ্যে নকলে ভুল হ'ব যে এইখন ৰাজা প্ৰভাতচন্দ্ৰ বৰুৱা বাহাদুৰৰ গোৱালপাৰা -- যি ৰাজা বাহাদুৰে 'ছোচিয়েল্ হিষ্টৰি অব্ কামৰূপ' লেখাইছিল, লক্ষ্মীৰাম বৰুৱা আদিৰ যোগে ভাৰতীয় সংগীতক সমাদৰ কৰিছিল। এয়া কীৰ্তিমন্ত ৰাজকুমাৰ প্ৰমথেশচন্দ্ৰ বৰুৱাৰ, ৰাণী অভয়েশ্বৰীৰ গোৱালপাৰা। তেওঁলোক আমাৰ দুখৰ ডাৱৰৰ ৰূপালী ৰেঙনি।

গোৱালপাৰাৰ ভাষা কি? যাক আমি গোৱালপৰীয়া বা ৰাজবংশী নাম দিয়া শুনিছো, সেয়া অসমীয়া ভাষা নহয় জানো? প্ৰতিমা বৰুৱাই আকাশবাণীত গান গাবলৈ আহোঁতে তেওঁক গানৰ ভাষা 'অসমীয়া কৰি ল'বলৈ' কোৱা হৈছিল; কিন্তু আজি আকাশবাণীয়েও গোৱালপৰীয়া ভাষা গ্ৰহণ কৰি লৈছে, আমিও সকলোৱেই লৈছোঁ। নাগামিজ বা নগামীয়া, নিফা অসমীয়া বা অৰুণামীয়া যদি হ'ব পাৰে, গোৱালপৰীয়া অসমীয়া ৰূপ এটা কিয় হ'ব নোৱাৰে? এই ভাষা বৈজ্ঞানিকভাবে অধ্যয়ন কৰিবৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে এখনি আঁচনি কৰিছিল। তাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে ধনো দিলে; কিন্তু বিধাতাই দিলে কি হ'ব? শিক্ষাবিদ নাম লোৱা চুক-ভেঁকুলীয়ে সেই আঁচনি, সেই ধন কেঁচুমটাৰ তলত সুমুৱালেগৈ। ভালেদিনৰ মূৰত ভেঁকুলী, কেঁচুমটা আঁতৰাই শেহ মুহূৰ্তত তাক উদ্ধাৰ কৰা হৈছে তাৰ ম্যাদ উকলি যোৱাত! তথাপি আশা কৰিছোঁ, এইবাৰলৈ কামটো অন্ততঃ আৰম্ভ কৰিব পৰা যাব; এই বৰদিনৰ বন্ধুত সেইদেখি আমাৰ গৱেষকে গৌৰীপুৰত শুভাৰম্ভ কৰি আহিছে।

গোৱালপাৰাৰ লোক-গীত, লোক-নৃত্য, লোক-সংস্কৃতি এটা মৌমৰা ভঁৰাল। কিমান বিধৰ লখিমীয়েইযে তাত বাহ লৈ থকা নাই! গৌৰীপুৰৰ কাৰ্তিক পূজাৰ গীত-নাচ, চড়ক-পূজাৰ অৰ্ধনাট্য, কৃশাল-গান, দোতাৰাৰে পালা গান, কেচ্ছা-বন্দী, ভাৰী-গান, গীতাল-পাইলৰ দিশা-পদ, মাহুত বা হাতীমাউতৰ গান, মইষাল দু ম'হওৱালৰ গীত -- এইবোৰৰ মই নামকে কৈ শেষ কৰিব নোৱাৰোঁ। আমাৰ অৱজ্ঞা আৰু আধুনিক সভ্যতাৰ আক্ৰমণ সত্ত্বেও এইখিনিয়ে জীয়াই আছে, সিয়ে ঘৰৰ মুখচত উঠি আমাক চিয়াঁৰি চিয়াঁৰি কৈছে, জান-জীৱনৰ শক্তি কিমান লেকেটীয়া। এই জন-জীৱনৰ অধ্যয়ন লাগে। তাৰ সাধনাক জীৱনৰ ব্ৰত কৰি লোৱা প্ৰতিমা বৰুৱাও প্ৰতিমা পাণ্ডে হৈ ভাগৰি পৰিছে। আমাৰ এজন শ্ৰেষ্ঠ কলাকাৰ আৰু পণ্ডিত বীৰেন দত্তই এই জীৱনৰ পীৰিতিত পগলা হৈ তাৰ সন্ধানত নিয়তভাৱে লাগিছে। আমাৰ ধুবুৰী সম্মিলনৰ সময়ত ধুবুৰীত বহা আমাৰ কাৰ্যপালিকাক বল কৰি মই এই সংকল্প লোৱাইছিলোঁ, গোৱালপাৰাৰ গীত সংগ্ৰহ আমি কৰিম। আমাৰ সেই ব্ৰতৰ প্ৰদীপৰূপে বীৰেন আজি গোৱালপাৰাৰ গাঁৱে-ভূঞে ঘুৰি ফুৰিছে। আশা কৰিছোঁ, আমাৰ এই প্ৰেম আৰু বিচাৰণাই গোৱালপাৰাক আমাৰ বুকুৰ মাজলৈ অধিককৈ টানি আনিব।

অসমীয়া ভাষাৰ অভিনৱ ভূমিকা ঃ

অসমীয়া সাহিত্যৰ অগ্রগতি কি হৈছে বা নহৈছে তাক বিচাৰ নকৰাকৈ ক'ব লাগিব, অসমীয়া ভাষাৰ ক্ষেত্ৰ চাৰিওফালে প্রসাৰিত হৈছে। তাৰ বাবে অসমীয়া ভাষাক নতুন শক্তি লগা হৈছে। অসম ৰাজ্যৰ প্রশাসনীয় ভাষাৰূপে অসমীয়া ভাষা গৃহীত হোৱাৰ লগে লগে চৰকাৰৰ সকলো বিভাগতে পর্যাপ্ত পৰিমাণে নতুন পাৰিভাষিকৰ আৱশ্যক হৈছে। আমাৰ বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা পর্যন্ত মাধ্যম অসমীয়া হোৱা মাত্রকতে জ্ঞানৰ বিভিন্ন শাখাতো পাৰিভাষিক শব্দৰ প্রয়োজন হৈছে। অসমীয়া ভাষাতত্ত্ব আৰু সমালোচনা উচ্চাংগলৈ উঠি আহিছে; তাৰ কাৰণেও নানা তত্ত্ব সামৰিব পৰা পাৰিভাষিক শব্দাৱলীৰ চাহিদা বাঢ়িছে। আজি অনাঅসমীয়া মাধ্যমৰ বিদ্যালয়বোৰতো অসমীয়া শিকাবলগীয়া হোৱা এই শিক্ষণীয় ভাষাটো যাতে নিজৰ মর্যাদা ৰাখি চলিব পাৰে, তাৰ বিষয় সাৱধান হ'বলগীয়া হৈছে। এনেকৈ সকলোফালে অসমীয়া ভাষাই হাত-ভৰি মেলি ল'বলগীয়া হোৱা অৱস্থাত সাৱধান নহ'লে সমস্ত ভাষাৰে এক অবাঞ্ছনীয় বিকৃতি ঘটিব পাৰে। হেমচন্দ্র বৰুৱাৰ দিনৰেপৰা আজিলৈ এক অভিনৱ বিৱর্তন ঘটিছে। আমি যি ভাষাতে সাহিত্যৰ আলোচনা লিখোঁ বা বিদ্যালয়বোৰতবিজ্ঞান পঢ়োঁ, আজি ক'ৰবাৰপৰা 'হেমকোষ' লেখোঁতাজন ওলোৱাহি হলে, তাক বৰ আচহুৱা আচহুৱা যেন পালেহেঁতেন; সংস্কৃতৰ প্রকৃতি আৰু প্রত্যয়ৰ নতুন ব্যৱহাৰেৰে শব্দবোৰযে আমি সৃষ্টি কৰোঁ, সিহঁতে প্রাচীন সংস্কৃত পণ্ডিতক বিব্রত কৰি তুলিলেহেঁতেন। আগতে একেটা 'মনস' (মনঃ,মন) শব্দেৰেই য'ত হৈছিল, এতিয়া আকৌ তাত 'মানসিকতা' শব্দ এটা যোগ দি ল'বলগীয়া হৈছে। এইদৰে সংস্কৃতৰ ওপৰত নির্ভৰ কৰিয়ে আমি আমাৰ পাৰভাষিক শব্দবোৰ সৃষ্টি কৰিব লাগিব, কাৰণ লেটিন, গ্রীকৰ দৰে সংস্কৃতৰ প্রকৃতি-প্রত্যেয়ৰ এক বহল স্থিতিস্থাপকতা আছে, যিটো লেকেটো হৈ লাগিহে থাকে সতকাই ছিগি নাযায়। বিশেষকৈ, সমার্থক আৰু প্রায়সমার্থক শব্দ, একেটা বিভাগৰ প্রণালীবদ্ধ ক্রমিক পর্যায় বুজোৱা শব্দ সৃষ্টি কৰিবৰ বাবে সংস্কৃতে অত্যন্ত সাহায্য দিব পাৰে। 'জিলাৰ ৰৰচাহাব' বা 'মাটি-হাকিম' শব্দত পাৰিভাষিকৰ বহণ আৰু ধ্বনি দুইটাই কম। 'উপাযুক্ত' বা 'উপ-প্রতি-সমাহর্তা' লৈ বিষয়াৰ ক্রমৰ সৰু-ৰৰ লেখ ৰাখি, শব্দবোৰক নানা প্রত্যয়েৰে প্রত্যয়ান্বিত কৰিব পাৰি আৰু ছেগ বুজি উপসর্গেৰ ধাত্বর্থো বলাদন্যত্র নীয়তেও কৰিব পাৰি। বিজ্ঞানৰে হওক কিম্বা প্রশাসনৰে হওক, পাৰিভাষিক শব্দ গঢ়োঁতে সংস্কৃত ভাষাৰ অক্ষুন্ন জ্ঞান নহ'লে হাস্যকৰ পৰিস্থিতিবো মাজে মাজে সৃষ্টি হ'ব পাৰে বুলি বা শুকচণ্ডাল আদি হৈ ভাষাৰ জার্গন উদ্ভৱ হ'ব পাৰে। এই বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰকামখিনি মুঠৰ ওপৰত ভালেই হৈছে। মুঠৰ ওপৰতহে। সেই কামৰ উন্নয়নৰ আৱশ্যকতা ৰৈ গৈছে। প্রশাসনীয় পৰিভাষা কৰিবৰ বাবে অসম চৰকাৰে যিখন পৰিভাষা সমিতি কৰি দিছে, তাৰ গঠন কার্যকৰী নহয়। পশ্চিম বংগ চৰকাৰে য'ত ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়, ৰাজশেখৰ বসু আদি ভাষাৰ বিদগ্ধসকলক সংস্থাপন কৰিছে ত'ত অসম চৰকাৰে সংস্কৃত ভাষা বা ভাষাতত্ত্বৰ চাৰিসীমাতো ভৰি নিদিয়া অৱসৰপ্রাপ্ত বিভাগীয় সচিব আৰু সংস্কৃত অভিধানৰ পাত লুটিয়াই খাব নজনা পণ্ডিত যদি নিয়োগ কৰে, আমি কি পৰিভাষা সেই সমিতিৰপৰা আশা কৰিব পাৰোঁ? অসমৰ বুকেদি যোৱা ৰাষ্ট্রীয় পথৰ কাষে কাষে তৰঙাই ৰখা গো-উন্নয়নৰ কেন্দ্রৰ নামবোৰত ইংৰাজী শব্দ 'ইণ্টান্‌ছিভ' আৰু একে উশাহতে অসমীয়াত তাৰ প্রতিশব্দ 'বিস্তৃত'ৰ ব্যৱহাৰে এই হাঁহি উঠা বিপর্যয়ৰ কথা চৰকাৰক বা বাইজক চিৰিবি চিৰিবি কৈ দিয়া নাই জানো? চৰকাৰৰ 'প্রশাসনীয় পৰিভাষা'ৰ প্রথম খণ্ড আৰু তাৰ প্রতিরূপ দ্বিতীয় খণ্ড যহন-তহন, কিন্তু এতিয়াও সংকলিত হৈ ওলাবলগীয়া বিভিন্ন আমি ক'ব পৰা নাই। সময় থাকোঁতেই চৰকাৰে ভাষা-বিশ্লেষকৰ জনি মাৰি থ'লে ভাল হ'ব। পৰিভাষা সমিতিখন ভাষা-পণ্ডিত লৈ পুনর্গঠন কৰা নিতান্ত বাঞ্ছনীয়; বিভিন্ন প্রশাসনীয় বিভাগৰ নিপুন বিষয়াসকল তাত বিষয়ক্রমে প্রয়োজন নির্দেশক ৰূপেহে থাকিব লাগে। অসমীয়া ভাষাৰ বিস্তাৰৰ এই অভিনৱ প্রয়োজনৰ সময়ত দায়িত্ব থকা সকলোলোকেই নিতান্ত দায়িত্বশীলতাৰে আগ বঢ়িব লাগিব। ভাষাৰ এই নতুন প্লাৱন যেন ঘৰ-দুৱাৰ ভঙা আৰু লতেৰা বস্তু আনি ঘৰৰ ভিতৰ সুমুওৱা ঘোল বানপানী নহয়, এই সাৱধানবাণীলে আমি কাণ দিয়া অতি বাঞ্ছনীয় হৈছে।

অসমীয়া বাণীৰ যুদ্ধোত্তৰ যোৱা পঁচিছ বছৰ :

বর্তমান অসমীয়া সাহিত্যিক বুজাবলৈ যুদ্ধোত্তৰ, সাম্প্রতিক আদি শব্দ ব্যৱহাৰ কৰা হৈ আহিছে। দ্বিতীয় মহাযুদ্ধৰ সামৰণিৰপৰা সময়ৰ অংকেত এই কালছোৱাৰ গণনা কৰা হয়। সিদিনা আমি লেখক শিবিৰত যোৱা পঁচিছ বছৰৰ অসমীয়া

সাহিত্য চর্চিলোঁ। আজিৰপৰা পঁচিছ বছৰ উজাই ধৰিলে গুৱাহাটী বিশ্ববিদ্যালয় আৰু গুৱাহাটী-শিলং কেন্দ্রত আকাশবাণীৰ জন্মৰ বছৰটো পাওঁ – ১৯৪৮ । সেইবাৰতে দেৱকান্ত বৰুৱাৰ 'নতুন অসমীয়া'ও ওলাল।এইকেইটা ঘটনাই স্বতন্ত্রভাবে অসমীয়া সাহিত্যত ক্লান্তি সৃষ্টি কৰা নাই যদিও, এই সকলোবোৰ গোটখাই নতুন আশাৰ দিগন্তযে উজ্বলাই তুলিছিল, তাক স্বীকাৰ কৰিব লাগিব। ইতিমধ্যেই 'আৱাহন'/'বাঁহী'ৰ তথাকথিত ৰোমাণ্টিক সাহিত্যত ওলট-পালট লগাই, পীৰিতিৰ জাল ফালি, ধীশক্তিৰ অগ্নিপ্রয়োগ কৰি ৰোমাণ্টিকক পাৰিলে পৰিহাৰ কৰি, 'প্রগতিবাদী'বামপন্থী সমাজ চেতনাৰ বাস্তৱবাদক সিংহাসনত বহুৱাবলৈ যত্ন কৰ, আংগিকত মুক্তকছন্দ গদ্য-স্পন্দক আদৰি, চিৰাচৰিত কাব্য ৰূপ বর্জন কৰি নতুন কবিতাক একপ্রকাৰৰ সংস্থাপন কৰা হৈ গৈছে, যাৰ ফলত ছৰখাই 'ৰোমাণ্টিক'সকল তাপ মাৰিছিল। ৰোমাণ্টিকৰ পকটো তেতিয়াও কিন্তু উঠৰ নৌ। তেতিয়াও সি তাৰ শ্রেষ্ঠখিনি কৰিবলৈ বাকী ৰৈ গ'ল। তথাপি 'সাগৰ দেখিছা'ৰ প্রকাশৰ লগে লগে যেন এই ৰোমাণ্টিক ভগাসৰাহত কুৰুলি দিয়া শেষ কৰিলে। দেৱকান্তও 'যৌৱনৰ বিয়লি বেলিকা' নতুন ছন্দত ইতিহাস স্বপ্নত উতলা হৈছে। ১৯৪৮ ৰ পূৰ্বেই প্রকাশ পাইছিল অসমীয়া উপন্যাসৰএটি শ্রেষ্ঠ দান " জীৱনৰ বাটত'—য'ত কাহিনী শক্তিশালী নোহোৱাতো চেতনা-স্রোতৰ দৰে চিত্রবোৰ গতিশীল। ঠিক ১৯৪৮ ছনতে ইতিহাসৰ প্রত্যয় দিব পৰা সংলাপ-শৈলীৰে 'পিয়লী ফুকন' ওলায়; কিন্তু সিও যেন বুৰঞ্জীমূলক নাটকৰ গৌৰৱৰ শেষ গানহে গালে। গল্পৰ ক্ষেত্রত নতুন বিষয় বা ভংগীৰ বিকাশে এই সন্ধিক্ষণত দেখা নিদিলেও 'আৱাহন'ত গল্প কৈ কৈ ভাগৰা বয়স্কসকলে এতিয়া আঁতৰি পৰিবৰ সময় যেন অনুভৱ কৰিছিল। সিকলৰ ভিতৰৰ শেহৰজন যাক বুলিব পাৰি, সিজনৰ 'পৰিশমণি' সংকলন দুবছৰ আগতে ওলাই গৈছে। মই থাপ মাৰি এবছৰকাল 'ৰামধেনু'ৰ সম্পাদক থকা সময়ত (১৯৫০) মালিক সক্রিয়, যোগেশ দাসে নিৰাভৰণ ভাষাৰ অর্থপূর্ণ ছবি আঁকি আছে। 'ৰামধেনু'তে সৌৰভকুমাৰ চলিহাৰ 'অশান্ত ইলেক্ট্রন' আৰু বীৰেন্দ্রকুমাৰ ভট্টাচার্যৰ লিৰিকেল ভাষা আৰু মুক্তি আন্দোলনৰ ৰোমাণ্টিক মোহসনা 'কলং আজিও বয়' প্রকাশ কৰিছিলোঁ। আগৰ পুৰুষৰ লক্ষ্মীনাথ ফুকনে তেতিয়া 'ওফাইডঙীয়া' নতুন সুৰ বজাবলৈ ধৰিছিল। চিন্তাৰ ক্ষেত্রত ডক্টৰ কাকতীয়ে 'প্রাচীন কামৰূপৰ ধর্মৰ ধাৰা' আৰু 'প্রেম আৰু সাহিত্য'ৰ কাম সামৰি এই 'ৰামধেনু'তে ভাৰততত্ত্বৰ দুই-এক পর্যায়ৰ আলোচনা আৰম্ভ কৰিছিল। ইতিমধ্যেই ডেৰ বছৰতে কেঁচুৰাৰপৰা ডেকা হোৱা 'ৰংঘৰ'ৰ বুকত দুৱৰা, দেৱকান্ত (আইৱন গলৰ 'কঙ্ক', 'দুৱাৰ মুকলি কৰোঁ), নৱ নৱকান্ত, 'জয়ন্তী'ৰ ভেঁটা ভণ্ডাসকলৰ মাজৰপৰা অজিত বৰুৱা আদি বহুত নামৰ হেঁচা-ঠেলা হৈছিল। এইদৰেই যোৱা পঁচিছ বছৰৰ বুৰঞ্জী আৰম্ভ হৈছিল বহুত সম্ভাৱনাৰে। যদি এই বুৰঞ্জীৰ কথা এটা বিন্দুলৈ আনি ক'ব লাগে, তেতিয়াহ'লে তাক সঁচা-মিছা, ৰোমাণ্টিক বামপন্থী বাস্তৱবাদৰ লগত অপূর্ণ অভিসাৰ বুলিয়ে ক'ব লাগিব।

সেই অভিসাৰ আৰম্ভ হৈছিল কবিতাৰ ছেৱিনাডত। চতুর্থ দশকৰ শেহৰ ফালে এলিয়ট-পৌণ্ড পঢ়া গজলীয়াসকলে বিদ্রোহৰ নিচান উৰুৱাবৰ মনে মনে ভাব কৰিলেও নানা প্রত্যাখ্যানৰ পিছত চিৰাচৰিত ছন্দৰ ঘৰৰ পোলা কটাৰ বাহিৰে বা হেন-কৰিম তেন-কৰিম হুংকাৰৰ বাহিৰে, শীতল যুদ্ধৰ বাহিৰে পঞ্চম দশক সোমোৱাৰ আগতে বিশেষ একো নহ'ল। তেতিয়াও ব্রেক-আউটেৰে ক'লা গুৱাহাটীৰ পৰা ১৯৪৩ ৰ শেহমাহত ষষ্ঠ বছৰৰ 'জয়ন্তী' ওলাল 'প্রগতিৰ দীপ্ত বাণী' মুখত আওৰাই। অসমীয়া সাহিত্যলৈ এইছাটি বতাহ আহিছিল হিন্দী সাহিত্যৰপৰা হিন্দী প্রচাৰকৰ যোগে।ডেৰবছৰ চলা কাকতখনৰ পাতে পাতে প্রগতিবাদৰ ইস্তাহাৰ, দুৱৰা-দেৱকান্ত-গণেশ গগৈ-জাতীয় কবিতাৰ ওপৰত প্রহাৰ, কথায় কথায় এলিয়টৰ নামোচ্চাৰণ, নিজকে ইণ্টেলেক্চুৱেল বুলি, প্রচাৰ। 'জোনাকী'ৰ 'বনকুৰৰী' নৱন্যাসৰ প্রথম মন্ত্র, 'জয়ন্তী'ৰ নচিকেতাৰ 'ৰাজপথ' সেইদৰেএই বিপ্লৱকামী দলৰ প্রথম অশনি-সংকেত। ব্রেক-আউটৰমহানগৰীৰ ৰাজপথৰ দৰে পৃথিৱী বিধ্বস্ততাৰ ছবি, ভগ্নপ্রায় দস্যুবৃত্তি সমাজৰ প্রতীক; কিন্তু বোধ কৰোঁ এইদৰে কবিয়ে নতুন কিছু কৰাৰ হেঁপাহলৈও এটা মাথোন কামেই কৰিলে – প্রেমত বিহ্বল, দেশৰ ৰোমাণ্টিক অতীতত ৰাতৰ কবিতাৰ চল বন্ধ কৰিলে। এইটোও ঠিক যে এই দলৰ অনুপ্রেৰণাৰ উৎস বিশ্ববিদ্যালয়ৰ পাঠ্য ইংৰাজী কাব্য আৰু কলিকতাৰ কবিসকলৰ কবিতা। এলিয়ট যেনেকৈ ডেণ্ডলোকৰ আপোন, বন্ধুদেৱ বসু, বিষ্ণু দে (এওঁতো গ্লেন কবি এলিয়ট অনুবাদ কৰিছে,), সমৰ সেনো পৰ নহয়; কিন্তু ৰবীন্দ্রনাথ আৰু জীৱনানন্দই দুদিন পিছতে আমাৰ হাটত যি দাম পালে, এতিয়াও সেই দৰ উঠিৰ নৌ। আৰু ভাব হয়, এতিয়াও কবিসকলে নিজৰ আদর্শ সম্পর্কে একেবাৰেই

স্পষ্টচিত্ত নহয়।

এইটো বিশ্বাস যিকেই, যে মুক্তোত্তরকালতেই এই নতুন ভংগীয়ে সার্থকতা লাভ করিছে, ভাব গভীরত্বে হৈছে, প্রকাশ পূবঠ হৈছে, ছন্দৰ আংগিকৰ জঞ্জাল গ্রাম কাটিছে, নবয় ঠেৰেহা লগাব লিয়ত কবিতাৰ চৰাচৰ পুনৰ বসন্তৰ গীত জুবিছে। এতিয়া এলিয়টকৈ এজ্ৰা পৌণ্ড, চাইলান হেয়াড, মবাহী প্ৰতীকবাদী সকলৰ, টেক্সা (টিবাৰ) আৰু হকু (হাইকু) লেখা জাপানী কবি, খলিল জিব্ৰাণ, মায়াকভস্কি আদি কবিক বিষয়ে অধিক উদযাটন হ'ল। মাৰ্ক, ফ্ৰয়েড-মূলত তত্ত্ব ওচৰচপীয়া চলি আহিল। একজিষ্টেন্সিয়েলিজম, অবস্থিতিবাদ-আদি মতবাদ, ৰাঁ পল ছাৰ্ত্ৰে আৰু আলবেয়াৰ কামু, ইৰ্কা, হিষ্টে নেকলৰ, হেগেলীয় সৌন্দৰ্যতত্ত্ব, জাৰ্মান এক্সপ্রেছনিজম, অতি-আধুনিক ফৰাচী চুবিয়েলিজমে আধিক নামে উৰাবি বুদ্ধিবিলাস নিম্ন সুবিধা পালেহি। কোনোৱে দুবণিব কোনোটো মতবাদ গোপাল কথা-বুলি ঘোষণাও কবিছে। বঙালী কবিসকলৰ লগাহ আমাৰ ভুটুবিতা হৈছে। তওঁলোকৰ কাব্যানুশীলনে আমাক আদৰ্শ আৰু বাট দিছে। ৰবীন্দ্ৰনাথে আজী আমাৰ মনটো দুই দুই দিয়ে। জীৱনানন্দই কপহী বাংলাৰ ছোৱালীৰ চাউল-ধোৱা কোমল হাতেৰে আমাৰ চকুপহ লোপহত তাল বান্ধিছে আৰু বুদ্ধদেৱ বসু আমাৰ জীৱনৰ মোহৰ মন্ত্ৰ উচ্চাৰিছে। অন্যথাক আইসুবে যাক 'কাণেৰ দিক থেকে মহাযুদ্ধ পৰবৰ্তী' অৰ্থাৎ প্ৰথম মহাসমৰোত্তৰ যুগৰ কেছে সেই বঙলা কবিতাৰ প্ৰায়বোৰ লক্ষণেৰে অসমীয়া যুদ্ধোত্তৰ কবিতা লক্ষণাক্ৰান্ত। এই সময়ত আমাৰ কবিসকলক বিভিন্ন গোষ্ঠীত ভাগ কৰা টান, কাৰণ 'সাম্প্ৰতিক কবিতা কোনো একেখন সত্ৰৰ শিষ্য নহয় বা কোনো এক সৰ্বৰ চিমুৰ ছায়াও চিহ্নিত নহয়। গোষ্ঠীবন্ধনৰ চেষ্টা থাকিলেও কেই দলত সমাজ-সচেতনকথবা জীৱন-পলাতক ব্যক্তিবাদী সকে থিৰ দিয়ক। এফালে যেনেকৈ নব্যবোমাণ্টিক ক্লান্তি-নৈৰাশ্য আৰু আলচুৱা জীৱনৰ মোহ ফুটি উঠিছে, আনফালে বাস্তবাশ্ৰী ব্ৰুৰা-তেনেকৈ অভিজ্ঞতা-প্ৰসূত এই বামপন্থীটোৰে কবিতা-ৰূপে চকুত প্ৰতিষ্ঠা লাভ কৰিলেও এতিয়াও বহুত বাকী আমকালে সকলো দেখা, আকলো বাল ঘুৰি আমাৰ কবিসকলে বোমাণ্টিক তাললৈকে ঘুৰি অহা যেন লাগে। ইংলেণ্ডলোকে বেলা হ'লে হৈ পৰা দুৰ্ভেদ্য কুয়াশাৰ আলৰপৰা আৰু গদাৰ ধূসৰতাৰপৰাও তেওঁলোকে সংবেদন আৰু সংগীতলৈ ঘুৰি আহিছে। এতিয়াও কিন্তু বিষয় বস্তু আৰু আংগিকতনালা সম্পৰীক্ষা চলি আছে। বাগ্মিতা আৰু প্ৰচাৰকতা দুইটাকে বৰ্জন কৰি তাৰপৰা প্ৰতীকী ভাষা-প্ৰয়োগৰ চহাকে নতুন কবিতাক নতুন দিশ বুলি ক'ব পাৰি। ইয়াতো কবিসকলে নিজক আত্মিয়াব কবি নিজ হেঁপাহৰ ওপৰতে তেওঁলোকৰ গুণৰ সাৰ্থকতা নিৰ্ভৰ কবিছে।

যুদ্ধোত্তৰ অসমীয়া নাটৰ স্বৰূপ বিচাবিবলৈ গ'লে ধনওলৈ খেদা যেনেই লাগে। কৃষ্ণাত্মকল আৰু পৌৰাণিক মাটিকীয়া ধাৰা বন্ধ হৈছে, এৰ বাবে সি অনেক দূষিবলৈ নাই। যি নতুন সম্পৰীক্ষা চলিছে, তাতো এতোলেছে কল সীমা অতিক্ৰম কৰা হৈছে শাৰদীয় সমাবোহৰ বাণমঞ্চ, ভাস্কৰ নাট্য-দিল বিবেসাৰ নগীও নাট্য সমাজৰ ঐতিহ্য আৰু হৈ গৈয়ক সহায়িনীয়ক আবশ্যকতাৰ বাবেই মাইকৈ। আগৰ প্ৰবীণ-নবীনৰ মিলনবাহি এই মঞ্চাৰোহ এবাপবগীয়া হৈছে। মিহোনৰ আলষ্টানিক ক্ৰমবক্ষাৰ পৰিবৰ্তে নগৰে নগৰে কুদ্ৰ কুদ্ৰ নাটগোষ্ঠীৰ পতা-ভঙা নাট চলিছে। ৰামণোৱ ভাৰতীয় সমাৰ মনে পেছাদাৰকণক মনাৰ হোৱা নাই, পেছাদাৰ ধৰিলেও অভিনেতাৰ আমাৰ ভালকৈ ওলোৱা নাই। গাইৰ ভগতম এবছাৰ্ড, এক্সপ্রেছনিষ্ট, ষ্টুবেলিষ্ট, ছাইকোলজিকেল নাটকৰ সুভেদ আই আমাৰ সোণ্ডীবোৰৰ হৃদয় স্পৰ্শ কৰা নাই। কাৰণ সেই ধৰণৰ নাটক ছ'বীজ ভগতে ভাব অধ্যয়ন আৰু চিন্তাশক্তি গভীৰ অনুশীলন আৰু 'নয়ত অভিজ্ঞতা' নাটকাৰ-অভিনেতা উভয় লক্ষত্বে লাগিব। সেয়ে এইবোৰ সম্পৰীক্ষাৰ দৰ্শন আৰু প্ৰয়োগ আহৰণ কৰা নাযায়। সেই সম্পৰীক্ষাসমূহৰ ফিটিকিনি এটা আমি সম্পৰীক্ষা কৰিলে সি আমি কি সম্পৰীক্ষাই নহয় মথোন বিনোদবিহাৰী অভিনেতা আৰু দলকেৰে আৰম্ভ নাট্য-আন্দোলন গড়া টান হৈছে। কিন্তু পোক, দাৰ্শনিক, নাট্যকাৰ আৰু ভাৰ-ভাৰনাৰ ওজা অভিনেতা-দৰ্শকৰ হাতেৰে সৃষ্টি হ'ব লোৱাহে। এই সমস্যাৰ সমাধান কোনে দিব। কউৰ এন থানীত পেলোধাৰ-পৰ্যবেক্ষিত লগা ভা নহ'লে নাটক ভগা ভৰাল প্ৰতাৰ আমাৰ্যকাৰী। 'আমাৰ' গঠিনা সাৰ্থক আভাংগাৰ সম্পৰীক্ষাৰে আমাৰ হৈছে, সেই কথা ঠিক। নাট্যকাৰী চলনলৈ আৰু সাৰ্থকভাৱে মূৰাই নিবিলে তেনে নতুন নাটৰ সাধাৰণ আৰু বিস্তৃত আলোচনা চকোৱী বা চকৰাৰ-পুষ্টি অনুষ্ঠানে গ্ৰহ-আকাৰে প্ৰকাশ কৰিলে নাট্যকাৰ-সংকটৰপৰা উদ্ধাৰ কৰা টান হৈছে। ঘটনাই ইমানেই বেগ বাঢ়ি কবিছে।

নাটকৰ এই নৈৰাশ্যৰ বিপৰীতে বজাৰৰ লগত সদায় সন্তাৰ থকা বস্তু হ'ল উপন্যাস আৰু গল্প। বাস্তবিকতে, এই দুটা বস্তুকেই সকলো পাঠকে বুজে আৰু তাৰ বাবে ধনৰ মোনাৰ খান্দৰি-গাঁঠিটো সোলোক ঢোলোককৈ বাখিবলৈ হ'লে মনে নুদুখায়। সেইদেখি কোনো কবি-নাট্যকাৰবা সমালোচকৰ নাম নুশুনা আৰু শুনিলেও মনত নৰখা পাঠকেও ঔপন্যাসিক আৰু গাল্পিকৰ কথাই সৈতে উপন্যাস-গল্পৰ কাহিনী পৰ্যন্ত কব পাৰে। সেই অনুপাতে এই দুই পৰ্যায়ৰ সাহিত্যিকৰ সংখ্যা আমাৰ সৰহ আৰু তেওঁলোকৰ মাজৰেপৰাই লেখত ল'বলগীয়া কলাকাৰ আৰু কলাসৃষ্টি আমাৰ ওলাইছে, এই কথা বুকুত হাত দি মই ক'ব পাৰোঁ; কিন্তু — । ইয়াতো এটা কিন্তু আছে। সকলো সাহিত্য-কলাৰ ভিতৰতে এই ফিক্‌চনৰ আৰ্টতে বাস্তৱৰ ব্যাপাৰ সৰাতো অবিচ্ছেদ্য। বাস্তৱৰ সেইদৰে প্ৰকাৰভেদ আছে। ধোঁৱা-কোঁৱাৰ মাজেদি দেখা ৰোমাণ্টিক বাস্তৱ আৰু স্বৰূপত দেখা ব্যক্তি আৰু সমাজৰ বাস্তৱ দুটা সুকীয়া বস্তু। মানুহৰ কৰ্মৰ বাস্তৱৰ ভিতৰফালে লুকাই থকা মানসৰ বাস্তৱৰ গভীৰতা আৰু পৰিসৰ বহুত বেছি। ভিতৰৰটোৰ পৰাহে বাহিৰটোৰ অৱস্থিতি। প্ৰকাণ্ড এটা আইচ্‌বাৰ্গ বা উটি অহা ৰৰফৰ পাহাৰৰ পানীৰ অংশ পানীৰ তলত নিমগ্ন অংশতকৈ বহুত সৰু। ৰোমাণ্টিকৰপৰা বিচ্ছিন্ন ঐতিহাসিক বাস্তৱবাদত সমাজচেতনা আৰু মানৱতাবোধ হ'ল ভিত্তি। সেই বাস্তৱবাদৰ নিজস্ব এক নৈতিক মূল্য আছে, যাক ৰোমাণ্টিকে কাচৰ মোলত বিকিবলৈ সংকোচ নকৰে। এইবোৰ কথাৰ দৃষ্টিৰ পৰা বুজা যায় তীব্ৰ জীৱনবীক্ষাৰমাজেদিহে জীৱনৰ অনৈন্দ্ৰজালিক ৰূপ দেখা পাব পাৰি। মানুহ-জীৱনৰ প্ৰতি ভিত্তিগত এক শ্ৰদ্ধাইহে জীৱনক স্বৰূপত পোৱাত সহায় কৰিব পাৰে। সেই জীৱনেই সাহিত্যৰ মূল উপজীব্য। সেই জীৱনক সাহিত্যত ৰূপ দিবৰ হকে গল্প আৰু উপন্যাস বৰ কাৰ্যকৰী কৌশল। যোৱা পঁচিছ বছৰৰ অসমীয়া গল্প-উপন্যাসত মানৱীয় মূল্যবোধ আৰু জীৱনক মুখা-মুখিকৈ চাবৰ সাহস আৰু শক্তি বাঢ়িছে। জন-জীৱনৰ লগত ক্ৰমাং বেছিকৈ এই দুইটা সাহিত্য ৰূপ জড়িত হৈ পৰিছে। মানুহৰ কৰ্ম আৰু মানুহৰ মনত ৰোমাণ্টিক মোহত যিমানখিনি দেখা নোপোৱা হৈ আহিলোঁ, এতিয়া মোহমুক্তিৰ পিছত সেইখিনি কলাকাৰৰ দৃষ্টিত ধৰা দিবলৈ ধৰিছে; কিন্তু গল্পতেই হওক বা উপন্যাসতেই হওক, জগতৰ ইতিহাসৰ অখণ্ড সত্যৰ এটা অতি ক্ষুদ্ৰ অংশহে ধৰিব পাৰি। তাৰেই অখণ্ড সত্যক উপলব্ধি কৰিবৰ যত্ন অতি দুৰ্বহ। সমস্ত জাগ্ৰত চেতনাৰে সেই খণ্ড সত্যকে উপলব্ধি কৰিলেও অখণ্ড ৰূপে ধৰা দিয়ে। এই বাহিৰ জগত আৰু তাতোকৈ বিচিত্ৰ মনোজগতক তীক্ষ্ণ ধী-দৃষ্টিৰে বিশ্লেষণ কৰি মানুহে মানুহে ভাবেৰে, কথাৰে কামেৰে যি নাটক হৈ আছে, সকলো উচ্ছ্বাস বাদ দি উপস্থাপন কৰিব পৰাতেই কাহিনীকাৰসকলৰ সাৰ্থকতা প্ৰকাশ পাব। এই এই সাৰ্থকতা আনিব পাৰে জীৱনৰ প্ৰতি সাগ্ৰহ দৃষ্টিয়ে আৰু যথাৰ্থ মূল্য দি ল'ৰবপৰা শক্তিয়ে। মাথোন আংগিকৰ ফালৰপৰা নাচাই এইবোৰ ফালৰপৰাও গল্প-উপন্যাসক চাব লাগিব। মাথোন আৱেগ, মাথোন উচ্ছ্বাস, মাথোন ভাষাৰ একেসুৰীয়া মাধুৰ্যই সাধাৰণ পাঠক-মনক আচ্ছন্ন কৰিব পাৰে; কিন্তু তাৰ ঊৰ্ধলৈ কলাক তুলিলেহে সি সত্য কলা হ'ব।

আমাৰ অসমত উচ্চ, উচ্চ কি উচ্চতম শিক্ষাৰ বিস্তাৰৰ লগে লগে আমাৰ চিন্তা আৰু বিশ্লেষণৰ সাহিত্যৰ প্ৰভূত বিস্তাৰ ঘটিব লাগিছিল। গল্পৰ জনপ্ৰিয়তাৰ ওপৰতে বৰ্তি থকা ৰংচং ভৰা কলিকতীয়া 'আবাহনো' সদায় চিন্তাৰ প্ৰবন্ধ এটি লৈহে আৰম্ভ হৈছিল। আজি জগতত জ্ঞান-বিজ্ঞানৰ বিপ্লৱ-সৃষ্টিকাৰী বিকাশ হৈছে।·সেই জ্ঞান-বিজ্ঞানে পৃথিৱীখনক আমাৰ দুৱাৰদলিত থিয় কবি দিছেহি। পশ্চিম এছিয়া বা ভিয়েটামৰ কাহিনী আমাৰ চুবুৰীয়াৰ ঘৰৰ খৰৰ যেন হৈছে, নানা প্ৰমূল্যৰ ভঙা-পতা, খেলি-মেলি ভাওনা হ'ব লাগিছে। ইয়াৰ মাজতো আমি গীতাৰ স্থিতপ্ৰজ্ঞৰ ভাও দিবলৈ কেনেকৈ ওলালোঁ? দুৱাৰদলিৰ বাজ হ'লেতো আমি সমস্যাৰ বুকুত খুন্দা-খুন্দলি খাব লাগেই। আমাৰ ৰৰষৰতো জীৱনৰ সকলো সমস্যা আহি ৰৰচাঙত উঠি আছে। আমাৰ গাত হাত নলগোৱা প্ৰকৃতিৰ সিহঁত ভদ্ৰনেকি? জগতৰ সমাজ, দৰ্শন, অৰ্থনীতি, কলা, সাহিত্য-কলাৰ নৱতম কথাবোৰ যে আমাৰ লেখাত ভূমুকি মৰানাই, এনে নহয়। তাৰ আলোচনা বিক্ষিপ্ত ভাৱে হৈছে; কিন্তু সেই আলোচনাই আমাক সকলোকেলৈ যাব পৰা নাই। এজন সম্পাদকে খৰৰদিলে,তত্ত্বালোচনাৰ গভীৰতা থকা তেওঁৰ পত্ৰিকা মৰণ-সংকটৰ সমুখীন। তত্ত্বালোচনাৰ প্ৰহুও বজাৰতে ভেকুৰে। যৌনবিলাসৰ (যৌনতত্ত্বৰ নহয়) উচ্ছ্বাস ভৰা গল্প-উপন্যাসে হলে ফল্পু সুতিয়েদি বহুত বালি তিয়ায়। বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ কাৰ চাপিলে চিন্তাৰ এই সংকট হেনো আৰু সন্নিকট হয়। সাহিত্য তত্ত্বালোচনাৰ নামত চমক লগোৱা নাম পাতৰ তলত বহুত শলৰ স্তূপ বচিত হৈছে। অথচ উপলব্ধিৰ

ফালে সেইপোনে তলি উদং। বিশ্ববিদ্যালয়ৰ চৰম উপাধিধাৰী ভাষাতাত্ত্বিকৰ আকাশ-ইকাৰবোৰেই খিত নালাগিল। ভাষাৰ অনাৰ্হ, প্ৰথম শ্ৰেণীৰ এম্, এ, আৰু ডক্টৰ এজন যেতিয়া 'তত্ত্ব' শব্দৰ তত ধৰাত অক্ষম, আমাৰ ভাষা সাহিত্য দেৱলীয়া নহয় দেৱলীয়া হ'বলৈ কি বস্তু আছে? এই টিন্-গড় সকলক লৈ আমি কি সাহিত্য কৰিম, কি সাহিত্য সভা কৰিম? এই সমস্যাটো মকৰাজাল নলগা মুৰেৰে ঘাটি ক'ৰবাত কিবা কৰিব পাৰনেকি, ভাবি চাওক সকলোৱে। নহ'লে আমাৰ ইণ্টেলেক্চুৱেল্ ডেকুৱামে, বৌদ্ধিক শূন্যতাই আমাক পংগু কৰি পেলাব।

সাহিত্যৰ বুৰঞ্জী বৈজ্ঞানিক ভিত্তিত নতুনকৈ লেখিব লাগিব :

মোৰ পূৰ্বগামী সভাপতিসকলে, গোহাঞি বন্দনাদেৱতে আৰম্ভ কৰি প্ৰায় সকলোৱেই, যিসকলৰ অভিভাষণৰ শিতৰত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আভাস দিবৰ যত্ন কৰিছে। ইয়াৰ মাজেদি সেই বুৰঞ্জীয়েই কিছু বিৱৰ্তন লাভ কৰিছে আৰু প্ৰথমতে বৰ্তি থকা কিছুমান ভ্ৰান্ত ধাৰণাৰ এই প্ৰক্ৰিয়াতে অপনোদনো ঘটিছে। ইতিমধ্যে দেৱেন্দ্ৰনাথ বেজবৰুৱা আৰু দেৱানন্দ ভৱালীতে আৰম্ভ কৰি অনেকজনে পুথিৰ ৰূপতসেই বুৰঞ্জী লেখি উলিয়াইছে। মই নিজেই তেনে বুৰঞ্জীৰ ৰূপৰেখা অংকণ কৰিবৰ কাৰণে যত্ন কৰিছোঁ আৰু সম্প্ৰতিকে ডেৱহাজাৰপিঠীয়া এখন পূৰ্ণাংগ বুৰঞ্জী লেখিবলৈ অসম প্ৰকাশন পৰিষদৰপৰা এটি অনুৰোধ পাইছোঁ। এই অবসৰতে আমাৰ সাহিত্য-বুৰঞ্জী-ৰচনাৰ বুৰঞ্জীলৈ চকু ঘুৰাই চোৱাৰ প্ৰয়োজন হৈছে। প্ৰথম প্ৰাথমিক প্ৰশ্ন হৈছে বুৰঞ্জী বুলিম কাক? আমি ভাৰতীয় মানুহ। আমাৰ এটা অপযশেই আছে যে আমাৰ হিষ্টৰিকেল ছেন্স শূন্যৰ ঘৰত। ডক্টৰ জে, এফ্, ফ্লিটেই এই বদনামটো পোনতে বৌজাল-বৌজাল কৰি দিছিল: 'ইট্ ইজ্, ইন্ডিড, বেৰি কেষ্টানেন্দু হোৱেদাৰ দ্য এনশ্বেণ্ট হিন্দুজ্ এভাৰ্ পজ্জেছ্ড্দ্য টু হিষ্টৰিকেল ছেন্স ইন্ দ্য স্কেপ্ অব্ দ্য ফেকাল্টি অব্ পুটিং টুগেদাৰ্ জেনুইন হিষ্টৰি অন্ ব্ৰড্ এণ্ড ক্ৰিটিকেল্ লাইন্স।' এই গোচৰৰ বিৰুধে আমি পদকীয়া হৈ অসমৰ হকে ছাৰ জৰ্জ আব্ৰাহাম গ্ৰিয়ৰ্ছনৰ চাৰ্টিফিকেট্ পৃথিবীৰ আদালতত পেছ কৰোঁ — আমাৰ অসমীয়াত আছে ভাৰন্তত নোহোৱা হিষ্টৰিকেল্ ৰৰ্ক্ছ অব্ বুৰঞ্জিজ্; কিন্তু বুৰঞ্জী আৰু হিষ্টৰি সাইলাখ একে বস্তু জানো? আহোমসকলৰ বুৰঞ্জী লেখৰ প্ৰথম বিধান দিছিল চুকাফাই: 'যেতিয়া যি কথা হয়, যি মৰে, যাক পাওঁ, সকলো কথা পণ্ডিতে লেখি ৰাখিব।' বুৰঞ্জীতত্ত্ববিদ ডক্টৰ ভূঞাদেৱে বুৰঞ্জীৰ অৰ্থত ক্ৰোনিক্লো আৰু এনেলছ্ শব্দ ব্যৱহাৰ কৰিছে। সময়ানুক্ৰমিক ভাৱে ঘটনাৰ লেখ ৰখাই বুৰঞ্জীৰ কাম। ক্ৰোনিক্লো সেয়ে। আনফালে, ভাৰতীয় ঐতিহ্যৰ ইতিহাস শব্দ যেতিয়া হিষ্টৰি অৰ্থত ব্যৱহাৰ কৰোঁ, তেতিয়াও আমাৰ ভ্ৰম নোহোৱাকৈ নাথাকে, কাৰণ ইতিহাস শব্দত হিষ্টৰিৰ বাস্তৱবাদ নাই। চতুৰ্বৰ্গ-সাধনৰ উপদেশ থকা পূৰ্ববৃত্তকথাই ইতিহাসঃ ধৰ্মাৰ্থকামমোক্ষাণামুপদেশসমন্বিতং পূৰ্ববৃত্তকথাযুক্তমিতিহাসং প্ৰচক্ষতে।। ৰামায়ণ-মহাভাৰত আমাৰ ইতিহাস। আনফালে হিষ্টৰি হ'ল কাৰ্য-কাৰণৰ সম্বন্ধৰ বাস্তৱ ব্যাখ্যা থকা জাতিৰ উৎপত্তি আৰু বিকাশৰ বৰ্ণনা। শব্দটোৰ লগত তাৰ ধাৰণাটাও পাশ্চাত্যৰপৰা আমাৰ মাজত প্ৰৱেশ কৰিছেহি। তথাপি আমি অলপ সোপা-ঢিলা হলেও হিষ্টৰিৰ প্ৰতিশব্দৰূপে বুৰঞ্জী বা ইতিহাসকে লওঁ আৰু সেই শব্দ দুটাৰে কাৰ্য-কাৰণ সম্বন্ধ ঘটনাৰ বৰ্ণনাস্বৰূপ হিষ্টৰিকে বুজোঁ। দ্বিতীয় কথা, সাহিত্যৰ ইতিহাসত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি ইতিহাসৰ লেখীয়াকৈ একে পদ্ধতি আৰু বিচাৰৰ প্ৰয়োগ হ'ব লাগিব। ইতিহাসৰ যুক্তিসিদ্ধ প্ৰমাণ আৰু প্ৰামাণ্য, সম্ভাব্য আৰু সম্ভাবনাৰ প্ৰশ্ন ইয়াত যোল অনায় থাকিব লাগিব। প্ৰমাণ, অনুমান, প্ৰবাদৰ পাৰ্থক্য ঐতিহাসিকে বুজি নল'লে ইতিহাস হ'ব পাৰে মাথোন পুৰণা-কথা। বিচাৰ-পদ্ধতিও আত্মগত ভাবোচ্ছ্বাসৰপৰা মুক্ত, নিৰ্মম, বিষয়নিষ্ঠ হোৱা উচিত। তাগনিতে ডক্টৰ কাকতিয়ে এজন লেখকৰ কথা কৈছিল, 'চোৱাচোন, এওঁৰ প্ৰথম কিতাপখনৰ প্ৰথম বাক্যটোতে কৈছে যে, উষা অসমৰে জীয়ৰী। মই প্ৰোটেষ্ট কৰিছোঁ। কাৰণ এইটো আনহিষ্টৰিকেল উক্তি।' লেখকজনে মাথোন ক'লে, 'আমাৰ অসমৰ দাবীটো এবি দিব নালাগে।' কাকতি হাঁহি হাঁহি মনে মনে থাকিল। প্ৰকৃতেতে, এনে অনৈতিহাসিক দৃষ্টিভংগীৰে বোধ হয় অসমীয়া হ'ব পাৰি, কিন্তু সাহিত্যৰে হওক বা যিহবে হওক ঐতিহাসিক হ'ব নোৱাৰি। বাস্তৱ সমালোচনা সাহিত্যত ঐতিহাসিকৰ প্ৰধান দৃষ্টিভংগী হ'ব লাগিব। ইতিহাসৰ যুক্তি,ইতিহাসৰ ধাৰা নিৰ্মম, নিৰ্বাণী। প্ৰতি যুগ তাৰ অতীতৰ সন্তান আৰু ভবিষ্যতৰ পিতৃ এয়ে ইতিহাসৰ ধাৰা। 'দেশ-কাল-সময়ৰ সীমা হেৰুৱাই' ৰাজনীতি বা সাহিত্যৰো কোনো ঘটনা নঘটে। এটা কবিতা, এখন পুথি তেনে একোটা

ঐতিহাসিক ঘটনা। সি তার ঐতিহাসিক কালপরী বিহিন আকাশ-কুসুম মহয়া। তার পিছফালে লুকাই থকা কবিজন বা প্রযুক্তাবজন পিছফালে লুকাই থকা তেওঁৰ সময় — যি সময় তার অতীত আৰু ভবিষ্যতেৰে যনসম্বন্ধ — আৰু তেওঁৰ দেশ — যি দেশ জগতৰ অংশমকা মাথোন। এই সকলো কথা বিচাৰ কৰিলে সাহিত্যৰ ইতিহাস-বচয়িতাৰ কাম কিমান দায়িত্বপূর্ণ, বুজা যায়। এটা জাতিৰ সাহিত্যিক ইতিহাসৰ চেলেংখনত কবিতা, গল্প, উপন্যাস, নাটকৰ দৰে ঘটনাবোৰ ওঠে ওঠে এটা বস্তু কথা জানো কম সাধনাৰ কৰ্ম? গতিকে সাহিত্যৰ ইতিহাস লেখিবলৈ যোৱাজনে লেখাৰ আগতে নিজক তুলাচনীত তুলি জুখি চাব লগিব নিজৰ ভিতৰফালে ফেকাল্টি অব্ পুটিং টুগেদাৰ্ জেনুইন্ হিষ্টৰি অন্ ব্লড্ ক্রিটিকেল্ লাইন্ আছে নে নাই। সেয়ে নহ'লে কাপ-কাঠী সামৰি থোৱাই ভাল। হিষ্টৰি লেখোঁ বুলি ডাঙৰ চিলিমত টান মৰা জানো ভাল কথা?

প্রাচীন ভাৰতৰ ৰাজনৈতিক ইতিহাস লেখোঁতে ভিনেণ্ট স্মিথে আর্কিওলজিকেল্, প্রত্নতাত্ত্বিক প্রমাণ বিচাৰি চ'লাথ কৰিছিল। তাম্রপত্র, শিলালিপি, মুদ্রা, স্থাপত্য, ভাস্কর্য এনে প্রমাণৰ দৃঢ় সম্বল। কাব্য-সাহিত্যৰ প্রমাণ দ্বিতীয় শ্রেণীৰ। প্রবাদযে একেবাৰেই তৃতীয় শ্রেণীত। সাহিত্যত যেতিয়া কোনো ৰজা-ৰাজপুৰুষৰ উল্লেখ থাকে, তেতিয়া সেই সাহিত্যৰ সময় নির্ণয়ৰ সহায় হয়, কিন্তু সেই সময় নির্ণয়ৰ সম্বল বিচাৰি আমি আকৌ আর্কিওলজিৰ দেশত ঘুমুটিয়াব লগীয়া হয়। সেইফালৰপৰা যদি কোনো সঁহাৰি নাপাওঁ, তেতিয়া আমাৰ অৱস্থা হয় ৰাজসাগৰত মেৰিণাৰ কম্পাছ নোহোৱা জাহাজৰ। প্রাক-শংকৰ কবি মাধৱ কন্দলিয়ে মহামানি বা মহামাণিক্য 'বাঘাহু ৰাজা'ৰ নাম লৈছে। বুৰঞ্জীৰ সূঁতিত এই নামৰ ৰজাৰ নামত এটা পাৰঘাট নাই। আন কি, তেওঁৰ নাম 'মহামাণিক্য'ই নে 'মহামানিক্য', আজিলৈকে থিত লাগাগিল। তেওঁৰ ঘৰ বিচাৰি আমি উজনিৰ সোণাপুৰ সোণাৰিৰপৰা ত্রিপুৰালৈকে খেদা-কাৰা লগাওঁ। তেওঁৰ সময় বিচাৰি আমি ত্রয়োদশ শতিকাৰপৰা পঞ্চদশলৈকে তাঁতবাঁতি কৰোঁ; কিন্তু এই তাসদং মাত্র এতিয়ালৈ আমাৰ সাৰ হৈছে, এই অপ্রমাদী কবিজনাক আমি হিষ্টৰিকেল মুৰিং এটা দিব পৰা নাই। আকৌ প্রাক্-শংকৰ আনকেইজন কবিৰ উল্লিখিত দুর্লভনাৰায়ণ কামতা-মণ্ডলৰৰজা থাক হয়। তেওঁৰ সময়? গুণাভিৰাম বৰুৱাই তেওঁৰ প্রাথমিক খাপৰ ঐতিহাসিক অধ্যয়নেৰে কথা-গুৰুচৰিতবোৰৰ সহায়ত দুর্লভনাৰায়ণক শংকৰদেৱৰ আজোকাকা চণ্ডীবৰৰ সময়ৰ বুলি অনুমান কৰি ত্রয়োদশ শতিকা স্থিৰ কৰিছিল। এডোৱার্ড গেইটেও তেওঁৰ 'হিষ্টৰি অব্ আসাম'ৰ প্রথম ভাগতগত গুণাভিৰামকে সমর্থন কৰি থৈছিল। পিছে, পিছত ছাহাবৰ মগজত ঐতিহাসিক জ্ঞান উদয় হোৱাত তেওঁ নিজৰ পুথিৰ দ্বিতীয় ভাগতগত সেই তাৰিখ আঁতৰাই পেলালে; কিন্তু ছাহাবৰ পেলনীয়া মতটোতে লাগি থকা আমাৰ সমালোচকৰ অভাৱ হোৱা নাই আৰু তাৰ ফলত তেওঁলোকৰ সমস্ত বিচাৰেই অনৈতিহাসিক হৈ পৰিছে। ইতিহাসৰ যুক্তি-তর্কই নবীনতম মত এবাই চলিলে নিজেই অবাস্তব হৈ পৰে। এইটো কথাও ঠিকযে দুর্লভ নাৰায়ণ এজাক ৰজাৰ জেনেৰিক নাম নহ'লেও সেই নামৰ একাধিক ৰজা আছিল। ৰামানন্দ দ্বিজৰ শংকৰ চৰিতত আছে, কামতাত পাট থকা দুর্লভনাৰায়ণক মাৰি বিশ্বসিংহই ৰাজ্য লৈছিল। তেতিয়া হ'লেতো তেওঁ পঞ্চদশ-ষোড়শ শতিকালৈ নামি আহিবলগীয়া হয়। এতিয়ালৈকে আবিষ্কৃতসকলৰ ভিতৰত মাধৱ কন্দলি, হৰিবৰ বিপ্র, কবিবর সৰস্বতী আৰু হেম সৰস্বতীয়েই মাথোন শংকৰদেৱৰ 'পূর্বকবি'। হেমচন্দ্র গোস্বামীয়ে রুদ্র কন্দলিকো এই পংক্তিতে ধৰিছে, কিন্তু তেওঁ কোনো যুক্তিকেই দিয়া নাই। রুদ্র কন্দলিৰ ভাষা অর্বাচীন। তেওঁৰ উল্লিখিত তাম্রধ্বজ-নৃপতি স্পষ্টকেয়ে খাচপুৰৰ কছাৰী ৰজা (১৭০৯-০৮) ৰাজ্যৰ। এইজনা ৰজাৰ ৰাজসভাযে কবি-পণ্ডিত-সুশোভিত আছিল, তাৰ সুন্দৰ প্রমাণ — এওঁৰ পত্নী বাণী চন্দ্রপ্রভাৰ আদেশ অনুসৰি ভুৱনেশ্বৰ বাচস্পতিয়ে ৰচনা কৰা 'নাৰদীয়-কথামৃত' কোনো পণ্ডিত আকৌ ৰামচৰণ ঠাকুৰৰ ভণিতা লগোৱা শংকৰ চৰিতত উল্লিখিত চণ্ডীবৰৰ সমসাময়িক কামতাশ্বৰৰ পুত্র তাম্রধ্বজৰ কালে আঙুলি পোলায়। তেনে পণ্ডিতে জনা উচিত যে এই চৰিতৰ বর্ণনা আন চৰিতেৰে নিমিলে; আন কি, চৰিতখনে এই সময়ৰ কামতেশ্বৰৰ নাম দুর্লভনাৰায়ণ নিদি দিছে ধর্মপাল। তাতোকৈ ডাঙৰ কথা, এই চৰিতখনকেই ৰামচৰণ ঠাকুৰৰ নামত অর্বাচীন কোনোজনে ৰচনা কৰিছিল। সিও হিষ্টৰিৰ প্রামাণ্য হ'ব পাৰেনে? মাধৱ কন্দলিৰ ৰামায়ণৰ পাঁচটা কাণ্ডৰ ভিতৰত লংকাকাণ্ডৰ দেৱত 'সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো' কথাআবেসকলোকে বিপাকত পেলাইছে। তাতে পণ্ডিত হেম গোস্বামীয়ে কন্দলিৰ আদিকাণ্ড আৰু উত্তৰকাণ্ড কছাৰী যুদ্ধত হেৰোৱা বুলি দেখাত দৃঢ়সত্য; কিন্তু প্রকৃততে এমূলক বি উক্তি কৰিলে, তাৰ দেৱবাণী বুলি ধৰিও দুই-এক বিশ্রান্তিগ্রস্ত হৈছে। গোস্বামীয়ে হেম সৰস্বতীক জাতত ব্রাহ্মণ বুলি কৈছে

কি প্রমাণৰ পৰা জনা যায়? অৱশ্যে তেওঁ ব্ৰাহ্মণ হ'লে কাৰো ক্ষতি হ'বৰ সম্ভাৱনা নাই। একে সময়ৰ কবিৰত্ন সৰস্বতী নিশ্চিতভাৱে কায়স্থ। সৰস্বতী উপাধিটোও এক গৱেষণাৰ বিষয়। এইটো শংকৰাচাৰ্যৰ পন্থৰ দশনামী সন্ন্যাসীৰ এটা নাম। প্ৰাচীন কামৰূপত শংকৰী মঠ আছিল বুলিও এটা মত আছে। গতিকে উপাধিটোৰ পম্ দেখিলে হয়তোবা ভাল ৰহস্যই ওলাব পাৰে। এইফালে আমাৰ ভ্ৰূক্ষেপেই নাই।

পূৰণি অসমীয়া সাহিত্যৰ বুৰঞ্জীত আৰু কেইটামান আৱশ্যকীয়া কথাই আমাক আজিকাল কবি আছে। পাঁচালী ছন্দ লেখা মনকৰ, দুৰ্গাবৰ কায়স্থ, পীতাম্বৰ শংকৰদেৱৰ সমসাময়িক, সুকবিনাৰায়ণ বহুত পিছৰ। প্ৰাক্-শংকৰী বায়ু, জগা বায়ুৰা দুই-একে মাথোন সেইটো জানিও এওঁলোকক প্ৰাক্-শংকৰ বুলি খলকনি লগায় অনাহকতে। দুৰ্গাবৰ-মনকৰ বিশ্বসিংহৰ ৰাজত্বৰ লোক, যদি পিছৰো নহয়। দুৰ্গাবৰ শংকৰদেৱৰ দ্বাৰা প্ৰভাৱিত। মনসাৰ পাঁচালী লেখা আৰু ৰামায়ণৰ পাঁচালী লেখা দুৰ্গাবৰ দুজন লোকো হ'ব পাৰে। পীতাম্বৰ কবিৰ 'উষা-পৰিণয়' ১৪৫৫ শকত আৰু 'মাৰ্কণ্ডেয়-চণ্ডী' ১৫২৪ শকত ৰচিত। তেওঁনো প্ৰাক্-শংকৰ হ'ল কেনেকৈ সময়ৰ চক্ৰত পাকঘুৰণি খোৱা সমালোচকে ভাবি নাচায়। পীতাম্বৰ কবিক লৈ আমাৰ আন বিপদো হৈছে। এদিন মোৰ স্নাতকোত্তৰ শ্ৰেণীত মোৰ এগৰাকী প্ৰিয় ছাত্ৰীয়ে 'শংকৰদেৱে পীতাম্বৰক, শাক্ত-কামসিক বুলি আৰু গৰ্ব-পৰ্বতত উঠি থকা বুলিযে গালি পাৰিলে, তাৰ কাৰণ হ'ল পীতাম্বৰ দ্বিজ আছিল' বুলি কৈ আমাক স্তম্ভিত কৰি দিলে। এনেটো সৰু ভাৱৰ কথা। সেই সৰু ভাৱৰপৰাই কোনো কোনোৱে পীতাম্বৰৰ সপক্ষে আৰু শংকৰদেৱৰ বিপক্ষে ওকালতি কৰিব লাগে বুলি ভাবিছে। আচলতে পীতাম্বৰ দ্বিজ নহয়। হেমচন্দ্ৰ গোস্বামীয়েহে তেওঁক দ্বিজ বুলি এটা ভ্ৰান্তিৰ সৃষ্টি কৰিছিল। তেওঁৰ ভিত্তি কি,মই নাজানো। মই পোনতে 'উষা পৰিণয়' সম্পাদন কৰি উলিয়াওঁতে এই ভ্ৰান্তিতে আছিলোঁ। ডক্টৰ সুকুমাৰ সেনে আঙুলিয়াই দেখুৱালে, পীতাম্বৰ দ্বিজ নহয়, দাসহে. তেওঁ পোৱা 'নলদময়ন্তী'ৰ পুথিত সেইটো স্পষ্টকৈ আছে। পিছত দেখোঁ, কনকলাল বৰুৱাই ইতিপূৰ্বেই 'আৰ্লি হিষ্টৰি অব্ কামৰূপ'ত পীতাম্বৰ দাস বুলিহে লেখিছে। 'উষা-পৰিণয়'ৰ দ্বিতীয় সংস্কৰণত মোৰ মত সলালোঁ। তাৰ বাবে 'অসম সাহিত্য সভা পত্ৰিকা'ৰ সম্পাদকে তেওঁৰ ইনাৰ্চিয়া-যুক্ত মুৰিৰ মনেৰে মোক কটু-কাটব্য কৰিলে—যেন পীতাম্বৰ দাস হ'ব লাগলে আৰু একেবাৰেই পেলনি গ'ল। আমি ঘৰৰ অশোভনভাৱে ধামুৰ শুদিৰ লগাই মকৰা-জালত, লাগি থাকোঁতেই কিন্তু ইফালে পীতাম্বৰক বাহিৰত 'বঙালী চিলাই থাপ মাৰি ধৰ' উপক্ৰম কৰিলে। ডক্টৰ শশীভূষণ দাশগুপ্তই পীতাম্বৰক কামৰূপী বুলি কৈও তেওঁৰ ভাগবতক 'ষোড়শ শতিকাৰ একখানা বাংলা ভাগবত' বুলি সাব্যস্ত কৰিলে। আমাৰ ভেলা মধুপুৰ-বৈকুণ্ঠপুৰ কোচবেহাৰত বৈযোৱাৰ দৰে পীতাম্বৰৰ 'মাৰ্কণ্ডেয়-চণ্ডী' ভাগবতৰ প্ৰথম স্কন্ধ দশম স্কন্ধ আদি কোচবেহাৰৰে বৈ গ'ল, 'নল দময়ন্তী'ৰ দুপাতমান মাথোন আমাৰ হাতত আছে। ইবোৰৰ উদ্ধাৰৰ উপায় আজিও হোৱা নাই। পীতাম্বৰ এইদৰে এঘৰীয়া হোৱাৰ বাবে হয়তো তেওঁৰ সময়ৰ সাহিত্যৰ ডিক্টেটৰ শংকৰদেৱৰ ৰায়আবাৰেই শাস্তী হ'ব পাৰে। সত্ৰৰ পুথি-ভঁৰালত সোমাবলৈ পোৱা হ'ল পীতাম্বৰ হয়তো আমাৰ মাজত জীয়াই থাকিলেহেঁতেন, কিন্তু আধুনিক এজন সমালোচকে 'পীতাম্বৰ অবৈষ্ণৱ কবি' আৰু পীতাম্বৰ কবিৰ 'দুশাৰী পদ শুনি মহাপুৰুষ শংকৰদেৱৰ মনত যি তাৎকালিক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল' বুলি তাত সন্দেহ প্ৰকাশ কৰিছে দেখি সামান্যভাবে বিস্ময় মানিছোঁ। হৰিবংশ ভাগবতত পূৰ্বগে থকা পীতাম্বৰ অবৈষ্ণৱ হ'ল কিয়? শংকৰদেৱে 'দুশাৰী' মাথোন পদ শুনি হঠাৎকাবিতা প্ৰদৰ্শন কৰিলে, এই কথাত চৰিতেই বিৰোধ কৰে - মহাপুৰুষৰ আগত নাৰায়ণ ঠাকুৰে পীতাম্বৰৰ কবিতা আওৰাই যাওঁতে যাওঁতে যেতিয়া এই শাৰী দুটা পালেগৈ, তেতিয়াহে 'আৰ গাইবে নলাগয়' বুলি আবৃত্তি বন্ধ কৰালে। দ্বিতীয় কথা, 'উষা-পৰিণয়'খপৰা দেখা যায় 'বস্তিবস্ত বিশেষ কহিতে' তেওঁৰ অস্বাভাবিক এটা 'তৃপ্তিতি'। তৃতীয়তে, সমালোচকজনে ভাগবতৰ মূল শাৰী, টীকাৰ ব্যাখ্যা, শংকৰদেৱ, অনন্ত কন্দলিৰ ব্যাখ্যা মিলাই চোৱা হ'লে গম পালেহেঁতেন, পীতাম্বৰে কক্মিণীৰ চৰিত্ৰত মূলত নোহোৱা এক অতিশয়-কামুকতা হঠাতে আৰোপ কৰিছে আৰু তেওঁৰ আৰ্টেও তেওঁক সমৰ্থন নকৰে। মহাপুৰুষে তেনে ধৰণৰ ধৰ্মৰ ফালৰপৰা আৰু আৰ্টৰ ফালৰপৰাও পীতাম্বৰক ভাল নোবোলাত সন্দেহ কৰিবলগীয়া একো নাই। শংকৰদেৱৰ এই মত 'তাৎকালিক' মাথোন বুলি অৱহেলা কৰিলে শংকৰদেৱক সমীক্ষাত্মক দৃষ্টি নুবুজাৰ চিনহে হ'ব।

এসময়ত ৰাম সৰস্বতী আৰু অনন্ত কন্দলি এজন মানুহ নে দুজন, সেই সম্পৰ্কে আমাৰ পণ্ডিতসকলে বাদ-বিতণ্ডা

কবিছিল। আৰু সেই বাদৰপৰা দুজন মানুহ হৈ এওঁলোক ওলাই আহিল; নিন্তু তেওঁলোক দুজনে কিমানখন, কোন কোনখন পুথি লেখিছে সেই বিষয়ে আমি বহল চিন্তা নকৰি তেওঁলোকক অৱজ্ঞা আৰু অন্যায় কৰি আহিছোঁ। দুইজনেই আমাৰ ৰৰণীয় কবি। দুইজনৰবিষয়ে অন্ততঃ দুখন গৱেষণা-গ্ৰন্থ হয়। আমাৰ ডেকা পণ্ডিতসকলৰ কোনোবা এই বিষয়ত সাৰ পাই উঠিবনে বাৰু? আকৌ চাওক, ৰাম-সৰস্বতী এটা উপাধিহে, নাম নহয় — যেনেকৈ অনন্ত কন্দলিও এটা উপাধি, ভট্টদেৱো এটা উপাধি. ৰাম-সৰস্বতী উপাধি-ধাৰী একাধিক কবি আৰু ৰাজকটকী আমাৰ আছিল। আমাৰ ৰাম-সৰস্বতীজন শংকৰদেৱ আৰু নৰনাৰায়ণৰ সমসাময়িক, তেওঁ আদি-ৰনপৰ্বত নৰনাৰায়ণ নৃপতিয়ে গৌৰ-কামৰূপৰ পণ্ডিত গোটাই শাস্ত্ৰ-দেৱান পাতি কবিকো তালৈকে মতাৰকথা লিখিছে আৰু 'কুলাচল-বধ'ত 'শ্ৰীমন্ত শংকৰ আপুনি ঈশ্বৰ' সাব্যস্ত কৰিছে। আদি-ৰনপৰ্বত তেওঁ 'সাধুমধ্যে সাৰ' মুকুন্দদেৱক প্ৰণাম কৰি নিজকে মুকুন্দ-কিংকৰ বুলিছে। কোনো পণ্ডিতে ক'ৰৰ দৰে এই মুকুন্দদেৱ কামৰূপৰ কোচ কোঁৱৰজন নহয়; ৰৰং এওঁ ভগৱানদেৱৰ ভিনিহি মাধৱদেৱৰ মধুপুৰ সত্ৰত থকা মুকুন্দ আতৈয়েই হ'ব পাৰে। অৱশ্যে এই ইংগিত দিয়াত এজন লেখক অগ্নিশৰ্মা হৈ উঠি জকৃজকাই মোক ধৰিছে, শংকৰদেৱ-মাধৱদেৱ থাকোঁতে কবিয়ে আতৈজনক গুৰু ল'ব কিয়? পিছে, সেইটো মোৰ দায়নে, দেওহে? তাৰ সমিধান স্বয়ং ৰাম-সৰস্বতীয়েহে দিব পাৰিলেহেঁতেন। ৰাম-সৰস্বতীৰ ভণিতাৰে দুখন "সাৱিত্ৰী-উপাখ্যান" আছে; ইয়াত দুজন কবি হ'ব লাগিব। 'শূদ্ৰ কুলে জাত হয়া পঢ়িলো শাস্ত্ৰক' বোলাজন কোন ৰাম সৰস্বতী? ৰাম সৰস্বতীৰ ভণিতা থকা পুথিবোৰত কোচবেহাৰৰ নৰনাৰায়ণ আৰু শুক্লধ্বজ, কামৰূপৰ ৰজা ৰঘুদেৱ, দৰঙী ৰাজ্যৰ ৰজা ধৰ্মনাৰায়ণ,কোচবেহাৰৰ মহীন্দ্ৰনাৰায়ণ (১৬৮২-৯৩), বিশ্বসিংহৰ পুত্ৰ শশীসিংহৰ জী-নাতি নাৰায়ণ আৰু মকৰধ্বজৰ নাম আছে। এই আটাইখিনি একেজন কবিৰ কৰ্ম আৰু এই সকলোজন ৰজা-ৰাজকোঁৱৰৰ একেজন কবিয়েই চাউল খাইছিল বুলি ধৰা সম্ভৱনে? এই আউল আমাক কোনোবা পণ্ডিতে ভাঙি দিবনে? আৰু ৰাম-সৰস্বতীয়েনো আমি বিচৰি কণা-ঘুৰমুটি খায়ো নোপোৱা ক'ৰ হংসকাকী, যামলসংহিতা আদি নামৰ সাধুকথাৰ ভঁৰালবোৰ পালে, তাৰো বহল বিচাৰ আমাৰ হ'ব নালাগেনে?

পুৰণি সাহিত্যৰ সমস্যা বহুত; কাৰণ, এই সাহিত্যৰ বৈজ্ঞানিক অধ্যয়ন এতিয়াও আৰম্ভই হোৱা নাই। শংকৰোত্তৰ কালছোৱাৰ বিষয়ে আমি বৰ তাকৰ জানো। উদাহৰণ-স্বৰূপে, আমাৰ সাহিত্যৰ বুৰঞ্জীবোৰে এই কালছোৱাৰ কিমান নাটকৰ ভূ আমাক দিয়ে? অথচ সত্ৰয়-সভায়, গাঁৱে-নামঘৰে কিমান শক্তিশালী মনোগ্ৰাহী নাটকৰ অভিনয় হব লাগিছে, তালৈ দৃষ্টি কৰিলে এই বুৰঞ্জীবোৰে জনজীৱনক ফাকি দি চলা কথাটোহে প্ৰতীয়মান হ'ব। কিমান বহুমূল্য পুথি উই-ৰৰমোহনিগনি-ডালশলিয়াৰ সুখাদ্য হৈছে আৰু পঁইতাচোৰা চুৰুণীৰ গোপন অভিসাৰৰ ক্ষেত্ৰ হৈ গাঁৱে গাঁৱে পৰি আছে, তাৰ সন্ধান কোনে ৰাখে? ৰাজ্যিক সংগ্ৰহালয়, নাৰায়ণী সন্দিকৈ ভৱন, বিশ্ববিদ্যালয় গ্ৰন্থাগাৰআদিত থকা পুথিবোৰৰ প্ৰকাশৰেৱা কিমান যত্ন হৈছে? অসমীয়া পুৰণি কবিতা-কথাৰ বিষয়ে ক'ব-লিখিবলগীয়া হ'লে আমি শংকৰদেৱ, মাধৱদেৱ,মাধৱ কন্দলি, ভট্টদেৱ আদিৰ সীমিত মণ্ডলৰ মাজতে ৰৈ যাওঁ; আমাৰ দৃষ্টিৰ পৰিসৰ বাঢ়িব নোখোজে। ভট্টদেৱতকৈ সৰলতৰ আৰু অধিক সার্থক কথা-শৈলীৰ গোপালচৰণ দ্বিজ, সূক্ষ্ম আধ্যাতিমকতাৰ মায়ামৰীয়া সম্প্ৰদায় প্ৰৱৰ্তক অনিৰুদ্ধদেৱ, ৰুদ্ৰসিংহ-শিৱসিংহৰ সভা-কবি কবিৰাজ চক্ৰৱৰ্তীৰ কথানো আমাৰ চকুত নপৰে কিয়, তেওঁলোকৰ বিষয়ে ক'বলৈ সত নাযায় কিয়, তেওঁলোকক মেজৰ্ লেখক বুলি স্বীকাৰ কৰি ল'বলৈ আমাৰ মন-চকু-মাত নগজে কিয়? আজান পীৰৰ নামেৰে পৱিত্ৰ জিকিৰ আৰু জাৰিৰেৱা আমাৰ কিমান চর্চ্চা হৈছে? মুঠতে, আমাৰ কেয়োখন সাহিত্য-বুৰঞ্জীয়েই মায়োপিক দৃষ্টিৰে কোঙা হৈ আছে। আনফালে কেতিয়াবা ক'ৰবাত অপুদঘাত একোটা কথা ওলাই আমাক বিব্ৰত কৰি তোলে অকাৰণতে। এসময়ত মহাপুৰুষ গুৰু দুজনাৰ নামত কুৎসা ৰটনা কৰা এখন পুথি উলিয়াই আমাৰ কামৰূপৰ এজন মৌজাদাৰে নিজৰ নাকটো কাটি সতিনীৰ যাত্ৰা ভংগ কৰিলে; বাকীবোৰ আদালতত গোচৰ লগাই চুচৰিব লগীয়া হ'ল। 'বাঁহী'-প্ৰদীপিকা'ৰ যুঁজখন জানো কম কেলেংকাৰীৰ অজা-যুদ্ধ? এই কুৰুক্ষেত্ৰৰ আঁৰকাপোৰৰ আঁৰৰ বীৰসকল অৱশ্যে অদৃশ্য হৈয়ে ৰ'ল। ১৮৩৭ শকত গোপাল মিশ্ৰ কবিৰত্নৰ 'ঘোষাৰত্ন' এজন 'ভট্টাচার্য কর্তৃক প্রকাশিত' হয়। তাৰ পাতনি লেখিছিল আমাৰ পূজা-স্থানীয় পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে। এই দুটা সুখৰ কথা বুলি ধৰিব লাগে; কিন্তু যেতিয়া গোস্বামীৰ পৰম অন্তৰংগ 'বাঁহী'ৰ সম্পাদকে পাতনি-লেখকক কুকুৰে-কাঁইট-নোখোৱা কবি গলি পাৰি পাতনিখন বখলিয়াই পেলালে, তেতিয়া সকলোৱে হৰি হৰি সুমৰিলে। পণ্ডিত গোস্বামী হেন

পুৰুষৰনো কিহে পাইছিল, ক'ব নোৱাৰিলো। তেওঁ 'নামঘোষা'ৰ প্ৰশংসাত শতমুখ হৈও আগতে নিজেই নাম নুশুনা 'ঘোষাৰত্ন'ক তাৰ ওপৰলৈ তুলিবলৈ অপচেষ্টা কৰি ক'লে 'ঘোষাৰত্ন'খন 'নামঘোষা'ৰ আগৰ পুথি। গোসাঁইদেৱেনো ভাবি নাচালেনে, এনে চেষ্টাৰ দ্বাৰা মাধৱদেৱৰ দৰে অৱিৱল কবিত্বৰ বিৱল কবিক নকলনবিচত পৰিণত কৰা হ'ব? আৰু সেই কথা অসমীয়া ৰাইজেইবা গ্ৰহণ কৰিব কেনেকৈ বা সত্যয়ে গ্ৰহণ কৰিব কি বুলি? বহু দিনৰ পিছত 'ঘোষাৰত্ন'ৰ দ্বিতীয় সংস্কৰণ ওলাওঁতে তাত গোস্বামীৰ পাতনিৰ অলংকৰণ আৰু নাথাকিল! আসমীয়া জাতিৰ পৰম সৌভাগ্য যে বেজৰবৰুৱা অৱতাৰহোৱা কাৰণেহে আমাৰ সংস্কৃতিৰ এনেবোৰ বিৰোধ দকৈ শিপাবলৈ নাপালে আৰু ভূমি-ভাৰ-হৰণৰ নিচিনাকৈ আমাৰ মনত মামৰ আৰু চিকটিবোৰসেই অৱতাৰে হৰণ কৰিলে। নহলে আমি আজিও আমাৰ মনৰ কীটবোৰ 'মখামখে আৱত' দেখি লিটিকাইৰ সাত ককাই-ভাইৰ দৰে টঙনা-টঙনি কৰি নিজৰ মূৰাকলিকেইটি ফালি থাকিলোহেঁতেন সাহিত্যৰ নামত। সকলো প্ৰকাৰৰ শ্ৰেণী-বিভেদৰ ৰোগৰ জনি নমৰিলে সাহিত্য স্বাস্থ্যৱন্ত হৈ উঠিব নোৱাৰে আৰু জন-কল্যাণো সাধন কৰিব নোৱাৰে। শংকৰী সাহিত্য তেনে স্বাস্থ্যৱন্ত বস্তু আছিল আৰু আমাৰ শিক্ষিত আৰু নগৰীয়া সমাজৰ অৱহেলা সত্ত্বেও যুগৰ নৱ-অভিনৱ আহ্বান সত্ত্বেও সি আজিও জন-কল্যাণৰ ব্ৰতত ব্ৰতী হৈ জীয়াই আছে। জন-জীৱনৰ লগত ঘনাতিঘন সম্পৰ্ক ৰাখি নিজে জীয়াই থকা সাহিত্যৰ ই এক অদ্ভুত নিদৰ্শন। তাক ৰোধ কৰাৰ যত্নবোৰ প্ৰতিক্ৰিয়াশীল বুলি সহজেই ধৰা পৰে আৰু পিছত আপোনা-আপুনি নিশ্চিহ্ন হৈ যায়।

দেৱানন্দ ভৱালী আৰু ডিম্বেশ্বৰ নেওগে বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণকীৰ্তন,' ৰামাই পণ্ডিতৰ 'শূন্য-পুৰাণ', সঞ্জয় আৰু কবীন্দ্ৰ পাত্ৰৰ 'মহাভাৰত,' আৰু 'ময়নামতী' আৰু 'গোপীচন্দ্ৰৰ গান' অসমীয়া বুলি দাবী কৰিছিল আৰু 'অসমীয়া সাহিত্যিকসকলে এইবোৰ বিষয়ে গহীনকৈ ভাবি চাব বুলি' পিছৰজনে আশা প্ৰকাশ কৰে। এইটো নিশ্চিত যে এই ৰচনাবোৰৰ ভাষাৰ অভিধানিক আৰু ৰৈয়াকৰণিক ৰূপত অসমীয়াৰ সাদৃশ্য আছে; কিন্তু 'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ চিন্তাধাৰাৰ প্ৰবাহ বংগতহে বৈ আছে, অসমত নাই-পিছৰ যুগৰ বিদ্যাচন্দ্ৰ কবিশেখৰ আৰু ভৱানন্দৰ 'হৰিবংশ' মাথোন ইয়াৰ ব্যতিক্ৰম। কবিশেখৰ ভট্টাচাৰ্যৰ দিনত অসমত জয়দেৱ-'ব্ৰহ্মবৈৱৰ্ত'ৰ উপৰিও বঙলা পদাৱলীৰ সোঁত বৈছিল যদিও সেই কৃত্ৰিমতাৰ সোঁতক অসমীয়া হৃদয়ে মোৰ বুলি নল'লে। 'হৰিবংশ', ভুৱনেশ্বৰ বাচস্পতিৰ 'নাৱদীয় কথামৃত', অদ্ভুতাচাৰ্যৰ ৰামায়ণৰ পুথি অসমত পোৱা গ'লেও বঙালীসকলে তাৰ ভাষা মিশ্ৰিত। পাঁচালী কবি জৈমিনীয়াশ্বমেধ লেখা ষষ্ঠীবৰ-সুত গংগাদাস-সেন, ভৱানীদাস আৰু সুবুদ্ধিৰায়ৰ নামকেইটাই কেনে কেনে গোন্ধায়! এই সকলোবোৰ গ্ৰন্থ আৰু গ্ৰন্থকাৰৰ পৰিচয়ৰ সমস্যা লৈ অলপ গভীৰভাৱে বিশৰকৈ ভাষাতাত্ত্বিক দৃষ্টিৰে গৱকি চোৱাৰ প্ৰয়োজন আছে।

সাহিত্যৰ বিচাৰ সাধাৰণতে দুটা দিশৰপৰা হয় — এক, তাৰ বিষয়-বস্তু, দ্বিতীয়তে তাৰ গঢ় বা লিটাৰেৰি ফৰ্ম। বিষয়-বস্তুৰ ফালৰপৰা সাহিত্য হ'ল হৃদয়ৰ বস্তু, মস্তিষ্কৰ নহয়; ৰবীন্দ্ৰনাথৰ ভাষাত সি ভাৱৰ বিষয়, চিন্তাৰ নহয়। আমি যেতিয়া 'হস্তীবিদ্যাৰ্ণৱ'ৰ নিচিনা হাতী-পুথি বা ঘোঁৰা নিদান, বকুল কায়স্থৰ 'কিতাবত-মঞ্জৰী', শ্ৰীধৰৰ 'খণ্ডসাধ্য'ৰপৰা বুৰঞ্জী পুথিলৈকে সাহিত্যৰ ইতিবৃত্তৰ জোলোঙাত ভৰাওঁ, তেতিয়া আমাৰ সাহিত্যবোধ সুপ্ত থাকে নে কিবাপ্ৰকাৰে সিবোৱত সাহিত্যৰ ৰস চাকিব পাৰি,সাহিত্য-বুৰঞ্জীকাৰসকলে স্পষ্টভাৱে আমাক বুজিবলৈ দিয়া উচিত। নহ'লে সাহিত্যপাঠ্যত সৈদ্ধান্তিক বিভ্ৰম উপস্থিত হয়। মেডিকেল্‌লিটাৰেচাৰ্ যেনেকৈ কোনো প্ৰকাৰৰ সাহিত্য নহয়, সাধাৰণ পক্ষত বিজ্ঞান আৰু বুৰঞ্জীও সাহিত্য নহয় — লাগিলে তাক পদ্য কৰিয়ে লেখা হওক; কিন্তু গিবনৰ 'ডিক্লাইন এণ্ড্ ফল্ অব্ দি ৰোমান এম্পায়াৰ' বা কাৰ্লাইলৰ 'ফ্ৰেঞ্চ ৰিভলিউশান্' একা? গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী' কেনে? এইবিলাক সাহিত্যৰ প্ৰাণৰ সন্ধানৰ মৌলিক প্ৰশ্ন। তাক এবাই সেই প্ৰাণৰ বুৰঞ্জী হ'ব নাৱাৰে।

আধুনিক যুগৰ অসমীয়া সাহিত্যৰ বিচাৰবো নানা অন্তৰায় আছে। যদিও 'অৰুণোদই'ত সাহিত্যৰ স্ফুৰণ অতি সীমিতভাৱেহে হৈছিল, সেই কাকতৰ প্ৰতি পাতৰে এক ঐতিহাসিক মূল্য আছে; কিন্তু ১৮৪৬ ৰ পৰা ১৮৮২-৮৩ লৈ সকলো সংখ্যাৰ কাকতখন পৃথিবীৰ ক'ৰবাত দেখা পোৱা যাব পাৰে বুলি আমি আশা কৰিব নোৱাৰোঁ। সেইদৰেবোৱা শতিকা আৰু বৰ্তমান শতিকাৰ সকলো প্ৰকাশিত গ্ৰন্থ-আলোচনী নাপালে পূৰ্ণাংগ বুৰঞ্জী হয় ক'বপৰা? তথাপি ডিম্বেশ্বৰ নেওগৰ 'আধুনিক অসমীয়া

সাহিত্যৰ বুৰঞ্জী' এক সাহসী অভিযান সাম্প্ৰতিক অসমীয়া সাহিত্যৰ মূল্যায়নৰ সময়ত বিবিধ ভাৰতীয় আৰু জগতৰ অনেক সাহিত্যৰ পৰিচয়ৰ প্ৰয়োজন। ইয়াৰ বিভিন্ন ক্ষেত্ৰত একাধিক গৱেষকে আত্মনিয়োগ কৰিলে অতি প্ৰয়োজনীয় ফল লাভ হ'ব। বিক্ষিপ্তভাৱে হেঁ সাহিত্যৰ ভাল বিচাৰে হৈছে, কিন্তু সকলোৱে সন্ধান থপতে পোৱা টান।

অসমত পাঠ-সমীক্ষা, টেক্সচুৱেল ক্ৰিটিচিজম বা টেক্সট-ক্ৰিটিকেল ষটাডিৰ আজিও উদয় হোৱা নাই, আমাৰ সাহিত্য-সমালোচক বহুতে তাৰ নাম শুনা নাই বা শুনিলেও তাৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰা নাই। গতিকে মাধৱ কন্দলিয়েই হওক কিম্বা শংকৰদেৱেই হওক আমি আজি তেওঁলোকৰ লেখা হেমচন্দ্ৰ বৰুৱাৰ কৃত্ৰিম বৰ্ণ-বিন্যাস পদ্ধতিৰে পঢ়োঁ আৰু লেখোঁ যেন কন্দলি বা গুৰুজনে হেমচন্দ্ৰৰ ব্যাকৰণ অভিধান পঢ়িহে কাপ-কাঠী ধৰিছিল। বিজ্ঞানসম্মত বিচাৰত এইটো এক ভ্ৰান্ত পদ্ধতি। কেৱল অসমীয়া বা আন নব্য ভাৰতীয় ভাষাৰ ক্ষেত্ৰতেই নহয়, সংস্কৃত-পালি-প্ৰাকৃতৰ ক্ষেত্ৰতো এনে ধৰণৰ অবৈজ্ঞানিক ৰেজিমেণ্টেশান আমি ভাৰতীয়ই কৰি আহিছোঁ। আন কি, আমাৰ 'কীৰ্তন-ঘোষা' পুথিখনিকে যদি ধৰে, তাৰ বজৰুৱা যিকেইটা সংস্কৰণ আছে, সি সাচিপতীয়া পাঠৰপৰা আঁতৰি আহিছে, ফলত শংকৰদেৱৰপৰাও আঁতৰি আহিছে। এতিয়া সেই সংস্কৰণৰোৰ লৈ শংকৰদেৱক অধ্যয়ন কৰা মানে নকল এজন শংকৰদেৱক পোৱাটোহে হ'ব। এনেকৈ নকল শংকৰদেৱ, নকল কালিদাস, নকল বেদ-বেদান্ত লৈ ভাৰতীয় চিন্তা, ভাৰতীয় কলাৰ ব্যাখ্যা দি জাতিটোৰ এটা ৰূপ আমি সৃষ্টি কৰোঁ। ভাৰতীয় দৃষ্টিত এই কথাটো বিসংগতি যেন নালাগিলেও পাশ্চাত্ত্য পণ্ডিতসকলে তাক সমর্থন নকৰিলে। পাশ্চাত্ত্যৰ প্ৰাচীন আৰু নব্য ভাষাৰ সাহিত্যৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰযোজ্য বৈজ্ঞানিক পাঠ-সমীক্ষাৰ কৌশল ভাৰতীয় সাহিত্যত প্ৰয়োগ কৰা হ'ল। আজিও প্ৰাচীন গ্ৰন্থ এই কৌশলেৰে সম্পাদন কৰি উলিয়ালে ভাৰতীয় বিশ্ববিদ্যালয়বোৰে পি. এইচ্. ডি. লিট্. উপাধি দিয়ে; কিন্তু আজিও এই কঠোৰ পদ্ধতি ভাৰতীয়ৰ মজ্জাগত হোৱা নাই। এসময়ত জাৰ্মান, ফ্ৰেন্স কিম্বা ইংৰাজ ভাৰততত্ত্ববিদৰ সংস্কৰণৰ দৰে আজিও হাভাৰ্ড সংস্কৃত ছিৰিজৰ সংস্কৃত-প্ৰাকৃত গ্ৰন্থ বিশ্বৰ পণ্ডিত-সমাজৰ গ্ৰাহ্য পদাৰ্থ। চাওক, আমাৰ পবিত্ৰ গ্ৰন্থ 'মোহে' দুই-খাটি নিদিলে সি বিশুদ্ধ নহয়; পবিত্ৰতম নহয়। ভৰতবৰ্ষৰ পণ্ডিতৰ ভিতৰত ডক্টৰ ভি. এছ. সুখথংগৰ সমীক্ষিত পাঠ-বিজ্ঞানৰ বাটকটীয়া। তেওঁৰ মহাভাৰতৰ আদিপৰ্বৰ সংস্কৰণৰ পাতনি 'প্ৰিলোগোমেনা' পাঠ-সমীক্ষাতত্ত্বৰ প্ৰথম ভাৰতীয় শাস্ত্ৰ। লুড্ভিগ্ আলছ্ডৰ্ফৰ সম্পাদিত পুষ্পদন্তৰ 'হৰিবংশ-পুৰাণ', পিশ্চেলৰ 'শকুন্তলা', ষ্টেন কনৌৰ 'কৰ্পূৰমঞ্জৰী'ৰ দৰে সুখথংকৰ, এডগাৰ্টন্, সুশীলকুমাৰদে, দাণ্ডেকৰ আদিৰ সম্পূৰ্ণ 'মহাভাৰত,' পি. এল্. বৈদ্যৰ সম্পাদিত পুষ্পদন্তৰ 'মহাপুৰাণ', আৰ. জি. ভাণ্ডাৰকৰৰ 'মালতি-মাধৱ', ধৰ্মদত্ত কোসাম্বীৰ ভৰ্তৃহৰিৰ কবিতা আদিয়ে বিশ্বৰ পণ্ডিতসমাজৰ অকুণ্ঠ সমাদৰ পাইছে। 'পঞ্চতন্ত্ৰ'ৰ পাঠ আৰু সাধুবোৰ সমস্ত জগতত বিয়পি পৰিছিল। এমেৰিকাৰ নিউ হাভেনৰপৰা ওলোৱা এফ্. এড্গাৰ্টনৰ 'পঞ্চতন্ত্ৰ ৰিকন্ষ্ট্ৰাক্টেড্' পুথিয়ে পাঠ-সমীক্ষাৰ নতুন ধৰণ ধাৰণাধাৰণা দাঙি ধৰে। ভাৰততে বোধ হয় 'পঞ্চতন্ত্ৰ'ৰ পঠন-পাঠন আমি ইস্কুলতে সামৰোঁ। বিশ্বত কিন্তু তাক লৈ তুমুল ৰণ চলি আছে। জকাইচুকীয়া অসমে এইবোৰৰ ভু নাপায় আৰু নলয়, কাৰণ আমাৰ 'সকলো আছিল, সকলো আছে!' ভু দিবলৈ যত্ন কৰিলে আমাৰ পণ্ডিতসকলে খণ্ডত একো নাই কৰে। আনৰ কথাকে নকওঁ, বৈজ্ঞানিক মনোভাবেৰে সাহিত্যৰ বুৰঞ্জী লেখা মোৰ ককাইদেৰেই স্বয়ং এই সোদৰৰ ভাই মোক হৰিৰৰ বিপ্ৰৰ 'লৱ-কুশৰ যুদ্ধ,' 'বভ্ৰুবাহনৰ যুদ্ধ'ৰ পাঠ সমীক্ষা-বিজ্ঞানমতে নিৰূপণ কৰাত তেওঁৰ 'নিউ লাইট অন্ অসমীয়া লিটাৰেচাৰ'ত নিন্দা কৰিছে। ভাবি চাওক, তাহানি সত্যনাথ বৰাই ধুবৰীৰ সিপাৰতে মৰা 'সভ্যতাৰ মথাউৰি টোৰে আমাক ক'ত ৰাখিছে। এইটো বৈজ্ঞানিক পাঠনির্মাণ আৰু সাহিত্য-বুৰঞ্জী-প্ৰণয়নৰ ওলোটা পথ। এনেভাবেই যদি পুৰণি গ্ৰন্থবোৰ গ্ৰহণ কৰো আৰু তাৰপৰা সাহিত্যৰ বুৰঞ্জী লেখোঁ, সেই গ্ৰন্থবোৰ এদিন নহয় এদিন দলিয়াই পেলাই সাহিত্যৰ ইতিবৃত্ত নতুনকৈ ঘুৰাই লেখিব লাগিব। আঠুত সোণ্ বিচৰা অসমীয়া পণ্ডিতে পুৰণি গ্ৰন্থৰ যেন তেনে প্ৰকাৰণ কৰা এটা সংস্কৰণ লৈ আজি আমি তৃপ্ত থাকিলেও যেতিয়া বৈজ্ঞানিক পাণ্ডিত্য বহিব (তেনে দিন হে কৃপাময় জগদীশ্বৰ, সোনকালে ঘটোৱা!!) তেতিয়া সকলো পণ্ডিত বিতৃষ্ণ হৈ আমাৰ অবৈজ্ঞানিক দৃষ্টিক পেংলাই কৰব, আমাৰ অথণ্টিকেশান্ নথকা গৱেষণা গ্ৰন্থ দেখি পুতৌ কৰিব। শংকৰদেৱে য'ত 'অসন্ত জগতখন তোমাৰ উদ্ভৱ ভৈল, সন্ত হেন প্ৰকাশে সদায়' বুলি বেদান্তৰ অধ্যাস, সদ্ভাস বুজাবৰ যত্ন কৰিছে তাৰ ঠাইত বজৰুৱা পুথিৰ অর্থ-পৰমার্থহীন 'অসন্ত জগতখন..' পাঠ লৈ ক'ৰ লাগিব, শংকৰদেৱে বেদান্তৰ একো নাজানিছিল। অথচ এনে ভ্ৰান্ত পাঠ পঢ়ি

পঢ়ি আমি মহাপুৰুষৰ প্ৰেমত মছগুল হৈ আছোঁ!! 'ব্ৰহ্মবাহনৰ যুদ্ধ'ৰ য'ত সুন্দৰ ভাষা-শৈলী লেখা হৰিবৰ বিপ্ৰই জতুৱা ঠাঁচ ব্যৱহাৰ কৰি 'বুঢ়াৰ হাতৰ চেং সেন্তৰে নেৱাস' লেখিছে, তাত আমি বুঢ়াৰ হাতৰ চেং সেন্দুৰ নেৱাস' পাঠ লৈ আমাৰ শ্ৰীমতীবোৰৰ বেচতে পেঁচ লগাই চেংচুলিত পিন্ধাবলৈ চেং সেন্দুৰ বিচাৰি হাট-বজাৰ চ'লাথ কৰিছোঁ!! ইমানেই আমাৰ পাণ্ডিত্যৰ দৌৰ!! ১৯৪০ চনত বিৰিঞ্চিকুমাৰ বৰুৱাই 'অংকীয়া নাট'ত 'অৰু কৃপা কৰ'ৰ ঠাইত 'অৱহু পাকৰ' পাঠ ছপা কৰাত (অসমীয়া লিপিত 'কৃ'টো 'হ'ৰ লেখীয়া বাবে), এজন টেটকুটীয়া পণ্ডিতে 'অৱহু পাকৰ', অৱহু পাকৰ' বুলি বন্ধুসকলৰ হাঁউসিত ধৰি জোকাৰিছিল! অসমীক্ষিত-পাঠ-গ্ৰহণৰ এনেই বিপদ! কালিৰাম মেধিৰ 'অংকাৱলী' ওলোৱাত অংকীয়া নাটৰ পাঠ সম্পৰ্কে আমি বহুত নিচিন্ত হ'ব পাৰিছোঁ। স্মৰণযোগ্য যে মেধিদেৱে ১৯১৩ চনতে 'প্ৰহ্লাদ-চৰিত্ৰ' উলিয়াই অসমীয়া পুথিৰ পোনপ্ৰথম সমীক্ষিত সংস্কৰণৰ গৌৰৱৰ ভাগী হৈছিল। 'কথা-গুৰু-চৰিত' বহুত দিশৰপৰাই এখন চৰম গুৰুত্বপূৰ্ণ পুথি; কিন্তু সম্পাদক লেখাৰুৱে আমাক সমস্ত পুথিখনৰে শুদ্ধ পাঠৰপৰা বঞ্চিত কৰিছে। মূল পুথিৰ অনেক অংশ ছপাত নাই। পুথিখনৰ ৰচনাৰ সময়ৰ ভাষা আয়ত্ত কৰি ল'ব নোৱৰাৰ বাবে অনেক ঠাইত ভুল পাঠ গ্ৰহণ কৰা হৈছে, কিম্বা আধুনিক ভাষা সুমুৱাই ভাষাতাত্ত্বিক পাস্পেক্টিভটোকে নষ্ট কৰি পেলোৱা হৈছে। 'ভূমি পছাৰাযুৰি দিয়া'ৰ ঠাইত 'ভূমি পছৱা বামুনী দিয়া', বজাৰ দোহাই'ৰ ঠাইত 'তাৰাৰ দোহাই', 'কি অন্নই'ৰ (অন্বয়) পৰিবৰ্তে 'কি অন্যায়', 'তুমি ওঝা হৈছা'ৰ পৰিবৰ্তে 'তুমি উজাইছা', 'কুনবিন'ৰ (কুন্মিন কুনখা) সলনি 'কুলবিন', আই প্ৰসও (প্ৰসৱ) হৈছে' শুচাই 'আই প্ৰমত্ত হৈছে' কৰিলে অৰ্থ-সংগতি, ভাষাৰ গাঁঠি ৰয় ক'ত? এই 'কথা-গুৰু-চৰিত'খনিৰ আৰু আন কথা গুৰু-চৰিতবোৰ আমাক বৈজ্ঞানিক সংস্কৰণ ৰেয়াকৈ লগা হৈ আছে। অসমীয়া প্ৰজাৰ বুৰঞ্জীৰ বিস্তৃত সমল এইবিলাকে যোগাব পাৰিব। আমাৰ দেশত পুথি নকল কৰা আৰু পুথি দান কৰা মহাধৰ্ম বুলি কোৱা হয় যদিও 'ভীমস্যাপি ৰণে ভঙ্গো মুনীনাঞ্চ মতিভ্ৰমঃ। যথাদৃষ্টং তথা লিখিতং লেখকে নাস্তি দূষণম' বুলি লেখাৰু আৰু খনিকৰসকলে কিমানযে মতিভ্ৰমৰ সৃষ্টি কৰ, তাৰ হিচাপ কিতাপ মই আৰু নকৰোঁ। সংস্কৃত পুথি হ'লে ৰহন-তহন, কাৰণ সংস্কৃত দেৱ-ভাষা; কিন্তু পথালিচকুৱা নৰ-মনিছৰ অসমীয়া ভাষাতো ভুল থাকিবই লাগে, টু এৰ্ ইজ হিউমেন্' নহয় জানো? কিন্তু এইটো ধৰি লোৱা ভুল হ'ব, সকলো লেখাৰুৰেই মতিভ্ৰান্ত মুনি। এইটো আমি ক'লে মহাভুল হ'ব যে শংকৰদেৱ বা মাধৱ কন্দলিয়ে হেমচন্দ্ৰ বৰুৱাৰ পদ্ধতিৰে ভাষা লেখিছিল। ভাষাৰ বুৰঞ্জীৰ অধ্যায়ৰ ফালৰপৰা শংকৰদেৱে নিজ হাতে লিখা পুথিবোৰ পালে ভাল আছিল। সেই পুথি নাপালেও আনে কৰা নকল, নকলৰ নকল, নকলৰ নকলৰ নকলৰপৰা শংকৰদেৱৰ হাতৰ সম্ভাৱ্য পাঠ পুনর্নির্মাণ কৰাৰ উপায় হল এই বৈজ্ঞানিক পাঠ-সমীক্ষা। তাৰ দ্বাৰা শংকৰদেৱ বা মাধৱ কন্দলিৰ ভাগৱত-ৰামায়ণৰ পাঠেই যে নিৰ্ণীত হ'ব, এনে নহয়, মূল ভাগৱত ৰামায়ণৰ সমীক্ষিত পাঠ নিৰূপণতো সহায় হ'ব এনে এটি মতবিশ্ববিশ্ৰুত সংস্কৃতজ্ঞ পণ্ডিত আমাৰ কৃষকান্ত সন্দিকৈদেৱে সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত ব্যক্ত কৰিছিল। মোৰ এজন ছাত্ৰক কন্দলিৰামায়ণৰ পাঠ সমালোচনাত লগাইছিলো, কিন্তু তেওঁ সেইসোপা জঞ্জালৰ পৰা যঃপলায়তি স জীৱতি কৰিছে। আমাৰ নকয় জানো বোলে, শিল কোমল হোৱা হ'লে বান্দৰে খাই শেষ কৰিলেহেঁতেন?

গ্ৰীক-লেটিন গ্ৰন্থৰ পাঠ-সীমাক্ষাত ব্যৱহৃত ক্লাছিকেল পদ্ধতিত চাৰিটা প্ৰক্ৰিয়াঃ (১) হিউৰিষ্টিকছ বা আবিষ্কাৰ -- পুথি সংগ্ৰহ কৰি পাঠৰ কোলেশান্ কৰি (একেলগে লেখি) তাৰ পূৰ্বাপৰ নিৰ্ণয় কৰি লোৱা। (২) ৰিষ্টেঞ্চিও বা পুনর্নির্মাণ -- অৰ্থৎ পাঠবোৰৰ ভিতৰত কোনটো প্ৰাচীনতম হ'ব পাৰে তাক সম্ভৱপৰভাবে বিভিন্ন বিচাৰৰপৰা বাছি উলিওৱা; (১) এমেণ্ডেছিও-গ্ৰন্থকাৰ জনৰ নিজৰ পাঠ-উদ্ধাৰ, সেই পাঠৰ উদ্ধৃতি, অনুবাদ, অনুকৰণ, টীকা আদিৰ সহায়েৰে আৱশ্যক হ'লে প্ৰাপ্ত পাঠ সলায়ে মৌলিক পাঠৰ স্বৰূপ নিৰ্ণয়; আৰু (৪) হায়াৰ্ ক্ৰিটিচিজম্ বা মূল গ্ৰন্থকাৰে ব্যৱহাৰ কৰা আধাৰ গ্ৰন্থ আদিৰ বিচাৰ। ভাৰতীয় পাঠ-সমীক্ষা এতিয়াও এই চতুৰ্থ প্ৰক্ৰিয়াৰপৰা বহুত আঁতৰত আছে। কোনো গ্ৰন্থৰ সমীক্ষিত সংস্কৰণৰ তিনিটা মূল ভাগসমীক্ষাৰে নিৰূপিত পাঠ, তাৰ লগে লগে ক্ৰিটিকেল এপাৰেটাছ্ বা পাঠ-পাঠান্তৰৰ হিচাপ আৰু তৃতীয়তে, ব্যৱহৃত পুথি আদিৰ সমালোচনামূলক বৰ্ণনা আদিৰে সমীক্ষাগৰ্ভ ভূমিকা। সমীক্ষিত পাঠাধ্যয়নৰ মূল উদ্দেশ্যই হ'ল টৰ-টেক্ষ্ট বা অটোগ্ৰাফ টেক্ষ্ট অৰ্থাৎ গ্ৰন্থকাৰৰ হাতৰ মূল গ্ৰন্থখনৰ সম্ভৱপৰ নিকটতম ৰূপ আবিষ্কাৰ কৰা। এই সকলোবোৰ কথা জনা আৰু সেইমতে পুথি সম্পাদনা কৰা পণ্ডিত আমাৰ ক'ত? তেনে বৈজ্ঞানিকভাৱে সম্পাদিত পুথিৰ অভাৱত বজাৱত পোৱা সাধাৰণ

সংস্কৰণৰ পৰাই যেতিয়া সাহিত্যৰ বুৰঞ্জী এতিয়ালৈকে লেখা হৈছে, সেই বুৰঞ্জীৰ মূল্য কিমান হ'ব পাৰে? যদি আমাৰ সকলো পুৰণি গ্ৰন্থৰ সমীক্ষিত পাঠ নিৰ্ণয় কৰা হয় তেতিয়া হ'লে পুৰণি সাহিত্যৰ স্বৰূপেই সুকীয়া হ'ব, তাৰ ইতিহাসো বেলেগ এটা বস্তু হ'ব লাগিব। সিহে প্ৰকৃত ইতিহাস হ'ব। তাৰপৰা আমি আজি বহুত নিলগত। সেই দূৰক নিকট কৰিবলৈ হ'লে পঠে-সমীক্ষা-বিজ্ঞানত দীক্ষিত এশজনমান বন্ধু পণ্ডিতে আমাৰ পুৰণি পুথিবোৰ উদ্ধাৰ কৰি প্ৰাচীন সাহিত্যিকসকলৰ উৰ-টেকৃষ্ট আৱিষ্কাৰ কৰাত লাগি যাব লাগিব। এই পৰিকল্পনা আমাৰ কেতিয়া হ'ব?

ভাত পালেহে মাত : অৰ্থনৈতিক সমস্যাত সাহিত্যিকৰ দায়িত্ব :

দেশৰ অৰ্থনৈতিক অৱস্থাৰ লগত সংস্কৃতিৰ বিকাশৰ সম্বন্ধ ঘন। শুদাপেটীয়া সংস্কৃতি হয় মুমূৰ্ষ, নহয় নিশকতীয়া। এমুঠি ভাত, এখন কাপোৰৰ কাৰণে যেতিয়া দেশৰ এভাগে হাহাকাৰ কৰি মৰিব লাগে, তেতিয়া সংগীত-সাহিত্যৰ স্ফূৰণ সম্ৰাট নিৰুৰ বীণ বোৱাৰদৰেই পৰিহাসপূৰ্ণ হৈ পৰে। এই অসামঞ্জস্য শুচাৰৰ হকে লেখকৰ এক সামাজিক দায়িত্ব আছে। আমাৰ সাহিত্যিকসকলেও এইফালে আওকণীয়া হৈ থাকিলে নচলিব। ভাৰতবৰ্ষই ৰাজনৈতিক স্বাধীনতা পোৱা আজি পঁচিছ্-ছাব্বিছ্ বছৰ হ'ল; কিন্তু ভাৰতীয়ই জীয়াই থাকিবৰ সম্বল অৰ্থনৈতিক স্বাধীনতা আজিও লাভ কৰিব পৰা নাই, ই এক নিৰ্ঘাত সত্য। ব্ৰিটিঃশ শাসনে ভাৰতক ব্ৰিটিঃশ বেপাৰীৰ এখন দোকান কৰিয়ে ৰাখিছিল; যদি মৰাপাট, কপাহ আৰু চাহৰ উৎপাদনত সহায় কৰিছিল, ব্ৰিটিঃশ উদ্যোগৰ স্বাৰ্থতহে তাকে কৰিছিল। প্ৰথম মহাযুদ্ধৰ পিছত বস্ত্ৰউদ্যোগে স্থানীয় উদ্যোগীৰ হাতত বিকাশ পাবলৈ আৰম্ভ কৰিলেও প্ৰভুসকলৰ পৰা উৎসাহতকৈও প্ৰতিবন্ধকহে পোৱা গৈছিল সৰহ। গতিকে ভাৰতৰ অৰ্থনৈতিক বিকাশ বাট চাই ৰ'বলগীয়া হৈছিল স্বাধীনতা-লাভৰ পৰলৈ। স্বাধীনতা-লাভৰ পিছতো কিন্তু সেই বিকাশ বাঞ্ছনীয় গঢ়ত আগ বঢ়া নাই নানা কাৰণত। পোনৰেপৰা এটা কথাৰ উপলব্ধি ভাৰতৰ আছিল যে পুঁজিবাদৰপৰা দেশৰ সৰ্বাংগীন উন্নতি সম্ভৱ নহ'ব। গতিকে ছোভিয়েট ৰুছিয়া আৰু আন পূৱ ইউৰোপৰ দেশৰ আৰ্হিৰে ভাৰতে অৰ্থনৈতিক পৰিকল্পনাৰ সম্পৰীক্ষা আৰম্ভ কৰে; কিন্তু সমাজবাদী দেশবোৰৰ দৰে সকলো উৎপাদন ৰাষ্ট্ৰীয় নকৰি মিশ্ৰিত অৰ্থনীতিৰ পৰা গ্ৰহণ কৰা হৈছে; বেঙ্কি, উদ্যোগ আৰু বাণিজ্যৰ একে কোবতে ৰাষ্ট্ৰীয়ীকৰণ নকৰি সাৱহিত পথ লোৱা হৈছে আৰু নানা প্ৰকাৰৰ ভূমিস্বত্ব-সংস্কাৰৰ ব্যৱস্থা কৰা হ'লেও কলেক্টিভ ফাৰ্মিং বা সামূহিক কৃষি প্ৰৱৰ্তন কৰিবৰ সাহসী পদক্ষেপটো লোৱা হোৱা নাই। এনেবোৰ সংকোচৰ ফলত যি যোৱা পঁচিছ বছৰে ৰোমানিয়া-হাংগেৰীৰ দৰে পিছৰপৰা দেশ, পূৱ জাৰ্মানীৰ দৰে ৰণবিধ্বস্ত দেশ দপ্‌দপ্‌কৈ উঠি আহিল, সেই পঁচিছ বছৰে ভাৰতবৰ্ষ বৰ মুজুৰা লাগি থাকিল। পৰৰাষ্ট্ৰৰপৰা দান অনুদানৰ অনুগ্ৰহ গ্ৰহণ কৰি, বিশ্ব-বেংক আদিৰপৰা ধাৰ-নিৰ কৰি উদ্‌গতি কৰিবলৈ বিচাৰিছোঁ হয়; কিন্তু বিশেষকৈ কৃষিৰ ক্ষেত্ৰত অগ্ৰগতিৰ অভাৱ আৰু বিফলতাৰ হেতুকে বাৰে বাৰে চাউলমুঠিও আনৰপৰা খুজিহে আনিব লগীয়া অৱস্থা হয়। বিশেষকৈ ৰাষ্ট্ৰীয় খণ্ডতযে কিছু কাম কৰা নাই হোৱা, এনে নহয়। ভিলাই-দুৰ্গাপুৰ-ৰৌৰকেলাৰ তীখা-কল, ভাক্ৰা-নাংগল-হীৰাকুড দামোদৰ উপত্যকাৰ জলবিদ্যুত-জলসিঞ্চন আঁচনি, বেংকৰ ৰাষ্ট্ৰীয়ীকৰণ আদিৰ কথা ভাবিলে ভালেই লাগে; কিন্তু নিয়োগ-ব্যৱস্থাৰ উন্নয়ন নোহোৱাত নিবনুৱা সমস্যা জপিয়াই উঠিছে; আয় আৰু সম্পত্তি-বিতৰণৰ যি সাম্য পঞ্চবাৰ্ষিক পৰিকল্পনাবোৰৰ কাম্য আছিল, সি দূ�ৰৰপৰাদূ�ৰলৈ পলাই গৈছে। তাৰ ফলত বৈষম্য আৰু শোষণৰ ৰাজপাট চলিয়ে আছে। এই পৰিস্থিতিত মানৱতাবোধৰ অভিভাৱক লেখকসকলৰ কোনো কাম নাইনে বাৰু? গণতান্ত্ৰিক সমাজবাদৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজবাদী সমাজৰ যি স্বপ্ন আমি দেখিছিলো বা আমাক দেখিবলৈ কোৱা হৈছিল, তাক দিঠকত পৰিণত কৰাত আমাৰ কোনো ভূমিকাই নাইনে? চৰকাৰে যোজনাৰ পিছত যোজনা লৈ সাঠনভাৱে-অসাঠনভাৱে যুঁজি আছে। পানীতপৰা মানুহৰ কক্‌ৱকনি পাৰৰপৰা বং চাই থকাৰ দৰে বহুতে সেই যুঁজ নিলগৰপৰা চাই আছে। 'কৰক, ইহঁতে কি পাৰে' বুলি। সমাজেও সমাজৰ শোধনত অংশীদাৰ হ'বলৈ বিচৰা নাই। তেনেহ'লে আমাৰ আশা ক'ত? পৰিত্ৰাণ ক'ত? সমাজৰ এই দৰ্ভোগ স্বকৃতনেকি? সমাজবাদ পাবলৈ সমাজে কি কৰিব লাগে? এইবোৰ প্ৰশ্নৰ ওপৰতে আমাৰ সংস্কৃতিৰ ভবিষ্যতটোও আঁৰ খাই আছে।

জকাইচুকীয়া অসমলৈ ঘূৰি আহক। বাহিৰ জগতখনত কিমান পৰিৱৰ্তন দিনক দিনে ঘটিব লাগিছে, সেই খবৰ আমাৰ

কাণত নপশেহি। অসমীয়া মানুহৰ ভ্ৰমণৰ আৰু তাতোকৈও ভাগ্যৰ অন্বেষণত বাহিৰলৈ যোৱাৰ অভ্যাস আজিও ভালকৈ হৈ উঠা নাই। বাহিৰৰ জগতখনে আহি আমাক হেঁচা মাৰি ধৰিছে, সেই হেঁচাতে টেপা খাই আমি শাঁত হে শেতেলিত পৰি আছো। অসমৰ অৰ্থনীতিত এই ঘটনা ঘটিছে সৰহকৈ। তাৰ ফলত চাউল-কানিৰ বাবে আমি নিজ ঘৰতে লাহে লাহে প্ৰবাস খাটিবলগীয়া হৈ আহিছে। এইদৰে আমি আমাৰ জীৱনক বিকি গৈ আছো। হৈ প্ৰক্ৰিয়াৰ শেষ ক'ত? অৰ্থনৈতিকভাবে অসমীয়া হৈ নাথাকিলে অসমীয়া কিহত থাকিব? অৰ্থনৈতিক স্বাধীনতা পৰিহাৰ কৰি আগলৈকো আমাৰ ৰাজনৈতিক, সাংস্কৃতিক স্বাধীনতা ৰাখিব পাৰিমনে? অৰ্থনৈতিকভাবে এবাৰ সম্পূৰ্ণকৈ পৰমুখাপেক্ষী হৈ লোৱাৰ পিছত এটা ইণ্টেলেকচুৱেল কবিতাই, এখন এবছাৰ্ডৰ নাটিকাই, এটা বাস্তৱবাদী গল্প বা এখন উপন্যাসে অসমীয়াক অসমীয়া কৰি ৰাখিব বুলি মোৰ অন্ততঃ ভাৰ নহয়। সেই ভয়াবহ অৱস্থাৰ প্ৰক্ৰিয়া যেন কালিয়ে আৰম্ভ হৈছে, আমিহে লেখকবোৰে একো দেখা পোৱা নাই, এনে বিভীষিকাময় ভাব মনলৈ অহা বাবে আপোনালোকে হয়তো মোক ক্ষমা কৰিব লাগিব। এবাৰ ভাবি চাওক আমাৰ জীৱনৰ চৈধ্য প্ৰসংগ কিহেৰে চলিছে। পুৱা চকু দুটা মেলাৰেপৰা আপোনাৰ দাঁড়ি-চুলি কাটে কোনে, আপোনাৰ বাৰীখন সাৰে কোনে, আপোনাক শাক-পাচলি দিয়েহি কোনে, চাউল-পাত কাপোৰ-কানি কাৰপৰা কিনে, ভাত ৰান্ধে কোনে, আপোনাৰ মৰংঘৰ নিকায় কোনে, কাপোৰখন আছাৰে কোনে, পানী-পাউডাৰ-মিহলিৰ কলহী গাইৰ গাখীৰকণ দিয়েহি কোনে, আপোনাৰ গাল মিহি কৰা পাউডাৰ-ক্ৰিম, চুলি চিক-চিকীয়া কৰা ক্ৰিম-তেল ক'ৰপৰা কোনে আনি দিয়ে, আপোনাৰ ঘৰৰ মুধচটো মাৰে কোনে, আপোনাৰ ৰৱৰ্জীয়ৰীৰ বিয়াত ৰঙা পৰলা দিয়েহি কোনে, আপুনি কাৰ কিতাপ কিনি পঢ়ে, ক'ৰ বাৰ্তাবিকাকতে আপোনালৈ পৃথিবীৰ খবৰ বোজা বান্ধি লৈ আহে সেই সকলোবোৰৰ নাম-ঠিকনা লেখি উলিয়াওকচোন। তাৰ পিছত কওকচোন, অসমীয়া মানুহ আপুনি কোনটো প্ৰসংগতে লগ পায়। আৰু বিচাৰ কৰক, যাৰে আপুনি নিত-প্ৰসং কৰে, তেওঁলোকক আপুনি দিনটীয়া জীৱনটোৰ বাবে কিমান দাম দিয়ে আৰু সেই পইচাকেইটা আপোনাৰ সোণৰ অসম গঢ়াত খৰচ হয়নে? অসমৰ চেউনি-ধোদৰ আলিয়েযে অতনা ধুলিয়া গাড়ীবোৰ ৰ'দত জিকমিকাই যায়, পৰ্বতপ্ৰমাণ জীৱন-সামগ্ৰীৰ বোজা লৈয়ে ট্ৰাকবোৰে অহা-যোৱা কৰে, সেইবোৰৰ কিমানখন অসমীয়াৰ ? ৰেলৰ ওপৰ শ্ৰেণীত, আকাশী জাহাজত, অসমৰ ভিতৰতে অসমীয়া মানুহ এটা লগ নোপোৱাকৈ কেতিয়া ভ্ৰমণ কৰো, তেতিয়া মোৰ অসম সাহিত্য সভালৈ মনত পৰে, সভালৈ চিঠি এখন লেখি সুধিবৰ মন যায়, অসমীয়া মানুহ ক'ত আছে। ৰাজা ৰামসিংহই মাধৱৰ মন্দিৰত গৈ চাবাইচ দি যোৱা নাও মৰা গড় মৰা, খাৰে কটা, কাঁড় চোঁচা, কাঁড় মৰা, খাৰ কৰা, হিলৈ মৰা, সকলো কৰা অসমীয়া সোনটোৰ আজি হাড়ত বন গজিল নেকি? সি কি আৰু বসন্ত কালৰ দুৰ্বাৰি-কনৰ দৰে জীপ লৈ নুঠিব?

ভাৰতক যদি সমাজবাদী দেশৰ আৰ্হিৰ পঞ্চাবাৰ্ষিক যোজনাবোৰে আগবঢ়াই নিব পৰা নাই ৰাজনীয়ভাবে, অসমক আৰু পৰা নাই। অসমৰ অৰ্থনীতিত কৃষিৰ ঠাই প্ৰধান। ৰাজ্যৰ আয়ৰ শতকৰা প্ৰায় পঞ্চাশভাগ খেতিৰপৰা আহে। শতকৰা নব্বৈৰো অধিক প্ৰজা গাঁৱত থাকে। তাৰে খেতিৰে প্ৰৱৰ্তালোক শতকৰা সত্তৰমানেই হ'ব। খেতিয়ে প্ৰজাৰ মুখৰ ভাত দিয়াৰ উপৰিও দেশৰ উদ্যোগীকৰণৰ ভিত্তিও সিয়ে হ'ব লাগিব। আমাৰ যোজনাবোৰত সেই দেখি কৃষিক প্ৰাধান্য দি তাৰ বাবে সৰহাই ধন ধৰা হৈছিল; কিন্তু ধৰা হিচাপে ধন খৰচ কৰা হোৱা নাই। আৰু যদি খেতিৰ মাটিৰ কালি বাঢ়িছে, নৈসৰ্গিক আদি নানা কাৰণত উৎপনৰ বৃদ্ধি আনুপাতিকভাবে হোৱা নাই। গতিকে কৃষিক্ষেত্ৰত অৰ্থনৈতিক যোজনা একপ্ৰকাৰ ব্যৰ্থ হৈছে। ১৯৬৬-৬৭ ৰ পৰা ১৯৬৮-৬৯ বছৰৰ ভিতৰত খাদ্যৰ উৎপাদন বাঢ়িছিল আৰু তাতে কওতে সেইজ-বিপ্লবৰ বিকাশ দেখা পাইছিল; কিন্তু সেই বৃদ্ধি কিমান যোজনা সম্ভূত, কিমানখিনি প্ৰকৃতিৰ প্ৰসাদ, সেই লৈ অৰ্থনীতিবিদৰ মাজত মতভেদ আছে। আনকালে অসমৰ প্ৰজা-সংখ্যা বাঢ়িয়ে আছে। স্বাধীনতা-লাভৰ পূৰ্বে যি অসমে বাহিৰক চাউল দিছিল, যোজনাৰ কালত অধিকতকৈ অধিকতৰ ভাৱে বাহিৰৰ চাউল, ঘেঁহু, ডাইল আনিবলগীয়া হৈছে সেই অসমেই। আৰু সিয়ে ৰাজ্যখনৰ অৰ্থনৈতিক দুৰ্গতিৰ বাট হৈছে।

অসমৰ খৰতকীয়া উদ্যোগীকৰণ আছিল অসমৰ অৰ্থনৈতিক যোজনাৰচকসকলৰ এক প্ৰধান উদ্দেশ্য যাতে ৰাজ্যখনৰ অৰ্থনৈতিক উদ্‌গতিৰ প্ৰক্ৰিয়াও খৰ হ'ব পাৰে; কিন্তু এই বিষয়তো যোজনা অনুসৰি অৰ্থৰ প্ৰয়োগ হোৱা নাই আৰু খৰচ

অনুপাতে কর্মসাধন হোৱা নাই। অসমত উদ্যোগীকৰণৰ জোখাৰে খনিজ,ৰাসায়নিক, বনজ আৰু কৃষিজ সম্পদ যথেষ্ট আছে। সেই অনুপাতে কিন্তু উদ্যোগ আগবঢ়া নাই। উজনি অসমত খনিজ তৈল-দ্রব্যৰ নিষ্কাশন, গুৱাহাটীৰ তৈলশোধনাগাৰ, নামৰূপ থার্মেল পাৱাৰ প্রোজেক্ট, আন ঠাইত স্পান চিল্ক মিল, চেনি কল, দুটা কপাহ কটা কল (চন্দ্রপুৰ, চাৰিদুৱাৰ) আজি যোজনাৰ ফলস্বৰূপে আমি পাইছোঁ। আৰু হয়তো কিছু পাম। প্লাইউড, হার্ড-বোর্ড, ফল-সংৰক্ষণ আদি দুই-এটি সৰু-সুৰা উদ্যোগৰ বাহিৰে অৰাষ্ট্রীয় ক্ষেত্রত শিল্প-উদ্যোগ একেবাৰেই আগবঢ়া নাই বুলি ক'ব লাগিব। এই বিষয়ত অৰাষ্ট্রীয় ক্ষেত্র লাজকুৰীয়া হৈয়ে আছে। সেই লাজ নাভাগিলে আমাৰ ঔদ্যোগিক উন্নতি ঠিহিৱা লাগি থকাৰে সম্ভৱনাসৱহ ফেক্টৰি উদ্যোগৰ বিষয়ত আগৰ পিছপৰা অন্ধ্র, বিহাৰ, কেৰালা, উৰিষ্যা, পঞ্জাৱ, ৰাজস্থান, উত্তৰ প্রদেশ আগ বাঢ়ি গৈছে বৰ বেগেৰে। এই ক্ষেত্রত অসমৰ আগৰ যি আছে সেয়েইহে — চাহ বাগিচাৰোৰ। বিজুলীশক্তিৰ ব্যৱহাৰ আৰু বাট-ঘাটৰ বৃদ্ধি-এই দুয়োটা উদ্‌গতি আমাৰ চকুত লাগিছে; কিন্তু আনৰোৰ ৰাজ্যৰ তুলনাত সি এতিয়াও অনুষ্ঠুপীয়া। এই অনুষ্টুভ্ কেতিয়া মন্দাক্রান্তাত পৰিণত হ'ব, ভাবিবলগীয়া।

আমাৰ অর্থনৈতিক উন্নতিৰ চিন্তাৰ দুটিমান দিশলৈ আপোনালোকৰ চকু টানিবৰ যত্ন কৰিলো। মার্ক্সৰ চিন্তালৈকে যাওক বা অন্নাদ্ ভৱন্তি ভূতানি পর্জন্যাদন্ন সম্ভৱঃ যজ্ঞাদ্ ভৱতি পর্জন্যো যজ্ঞঃ কর্মসমুদ্ভৱঃ বুলিয়ে শ্লোক আওৰাওক, কলৌ অন্নগতাঃ প্রাণাঃ হোৱা আমি প্রাণীবোৰৰ অন্নই জীৱনৰ ভেঁটি। এই অন্নচিন্তা চমৎকাৰাই মানুহক মানুহ-খোৱা মানুহ কৰি শ্রেণী-সংগ্রাম সৃষ্টি কৰিছে। কলা-সাহিত্য সেই চিন্তাৰ অৱকাশ হয়তো হয়; কিন্তু সি সেই চিন্তাক চেৰাই যাব নোৱাৰে। যোৱা কুৰি বছৰৰ যোজনাই কিবা-কিবি কৰাৰ পিছতো অসমত বহুত লোক দুর্ভিক্ষ-ৰেখা, প'ভার্টি-লাইনৰ ওপৰলৈ উঠিব পৰা নাই। যোজনা আয়োগে মানুহমুৰি দুকুৰি টকা খৰচত এই ৰেখা টানিছে; কিন্তু অসমত বয়-বস্তুৰ দৰে চাই তাক জনমুৰি ৪৮ টকামানত ধৰিব লগা হয়। এই লেখত অসমৰ নগৰৰ শতকৰা ৪০.১৪ গাঁৱৰ লোকৰ ৭৭.৩৮ আৰু মুঠ জনসংখ্যাৰ শতকৰা ৭৩.৬৭ দুর্ভিক্ষ-ৰেখাৰ তলত। সেয়ে আমাৰ সংস্কৃতিৰ ভূমি।

মই বিদেশত ফুৰিবলৈ যাওঁতে দেখা এটা কথা মনত লাগিছিল — ইণ্টাৰনেচেনেল এয়াৰপোর্টবিলাকত দেশবোৰৰ ৰপ্তানি-দ্রব্য সম্পর্কে একোখনহঁত প্রকাণ্ড প্রকাণ্ড কিতাপ লাউঞ্জত ৰখা হৈছে বিদেশী ভ্রমণকাৰীসকলৰ আকর্ষণৰ অর্থে। আজি-কালি সকলো দেশৰ সমৃদ্ধি নির্ভৰ কৰে দেশৰ উৎপাদন আৰু বিদেশত তাৰ যোগানৰ ওপৰত। সিদিনা কলিকতালৈ যাওঁতে ৩৮৬ পৃষ্ঠাৰ এখন সুমুদ্রিত পুথি দেখিলোঁ — বিশ্বকর্মাৰ 'লক্ষ্মীৰ কৃপালাভ বাঙালীৰ সাধনা,' মুদ্রণ, ব্লকমেকিং, টাইপ-ফাউণ্ড্রি, প্রকাশন, কাপোৰ-কল, হোছিয়াৰী, চিয়াঁহী, বেন্ধিং আৰু বিনিয়োগ, বিজুলীৰ বেটেৰী, হেয়াৰ বেল্‌টিং, চীনামাটিৰ পাত্র, ৰবৰ শিল্প, অলংকাৰ, বেকাৰি, ঔষধ, টইলেট আদি বিভিন্ন ব্যৱসায়ত বঙালীসকলৰ কীর্তিৰ অভিলেখ। অনুভৱ কৰিলো, বঙালী জাতিৰ সাহিত্য আৰু আন কলাৰ উৎকর্ষৰ শক্তি যোগাইছে এই অর্থনৈতিক প্রগতিয়ে। বংগত দৰিদ্র নোহোৱা নহয়; কিন্তু মূলৰ সেই শক্তিয়ে কেতিয়াও বঙালী জাতিক ভাগি পৰিবলৈ নিদিয়ে।

সৰুতে অংকৰ শ্রেণীত অংক কৰিছিলো, এটা পুখুৰীত এটা খালেদি এঘণ্টাত ইমান পানী সোমায়, আন এটা বাটেদি সিমান পানী ওলায় যায়, পুখুৰীটোৰ পানী গৈ কেই ঘণ্টাত শেষ হ'ব? আজি আৰু অংক দেখিলে মূৰ ঘুৰায়। আৰু বেছি মূৰৰ ফুৰণি হ'ব যদি অসমৰ ৰৰপুখুৰীকেইটাৰ অর্থনৈতিক অংকবোৰ কৰিবলগীয়া হয়। জন্মৰ নিৰিখ আৰু বহিৰাগতৰ আগমন হেতুকে যোৱা দশকবোৰত ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰতে অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ সর্বোচ্চ। অসমত যিসকলে ধন ঘটে, সিসকলৰ বহুতৰ মাটি-ভেঁটি আছে বাহিৰত। চাহ-বাগিচাত, ব্যৱসায়-বাণিজ্যত, উদ্যোগ আৰু আন অর্থনৈতিক কর্মক্ষেত্রত ইটো এটা মাৰাত্মক সত্য। গতিকে অর্থনীতিৰ সূত্র অনুসৰি অসমৰ যি আয়ৰ নিৰিখ দেখুওৱা হৈছে, সি কৃত্রিম হৈ পৰিছে, - া বহুতোবোৰ আয় হ'ল পলৰীয়া। আনফালে, সেই বহির্গমনৰ ক্ষতিপূৰণ কৰিবলৈ প্রায় কোনো আয়েই অসমমুৱা নহয়। অসমত মাটি-ভেঁটি থকা কিমানজন মানুহে অসমৰ বাহিৰত কাম কৰে, ভাবি চাইছেনে? হিচাপত ওলাইছে, অসমত বতৰে বতৰে কাম কৰা আৰু অর্ধস্থায়ীভাবে থকা মানুহৰ হাতেদি বছৰি ১৩০ কোটি টকা ওলাই যায়। ইয়াৰ উপৰি বিভিন্ন সঞ্চয়-আঁচনিৰ যোগেদি বছৰি ২৬ কোটি টকা অসমৰপৰা পলায়। আনফালে কেন্দ্রীয় আয়-ব্যয়ৰ যোগে আৰু বিনিয়োগৰ যোগে

বছৰি মাথোন এশ কোটি টকা অসমলৈ আহে। এতিয়া অংক কৰি উলিয়াওক, কিমান দিনত আমাৰ জীৱনৰ ৰৱপুখুৰীকেইটা শুকান পুখুৰী হ'ব। অসমৰ শ শ ডাকঘৰৰ মনিঅৰ্ডাৰ কাউণ্টাৰত কিউ কৰি বাহিৰলৈ ধন পঠিওৱা মানুহৰ লানি ছিগা দেখিছেনে? বেংকৰ চেক-ড্ৰাফ্টবোৰ অসমৰ অৰ্থনৈতিক জীৱনৰ ভগা চালনী।

মই চৰকাৰৰ হৈ কান্দিবলৈ নাযাওঁ ! চৰকাৰক নিৰ্দেশ-উপদেশ দিয়াৰ অধিকাৰো মোৰ নাই। বৈঠকখানাত মাৰ্ক্স পঢ়ি চৰকাৰক শাও দিয়াৰ প্ৰবৃত্তিও মোৰ নাই। যেনে প্ৰজা, তেনে ৰজা বুলি ইংৰাজীত একাষাৰ কথা আছে। সেইফাকি মই বিশ্বাস কৰোঁ। আমাৰ কৰ্তব্যবোধ, দেশাত্মবোধ নহ'লে কোনোবাই আমাক ধন-দৌলত দিবহি বুলি নাভাবোঁ! চৰকাৰে যোজনাৰ যজ্ঞ পাতিছে। সেই বিশ্বামিত্ৰই আমাৰ স্বৰ্গ পোৱাবগৈ বুলি স্ৰুৱ স্ৰুচডালো হাতেৰে নুছুই থাকিলে ত্ৰিশংকু হ'ব পাৰিম, ইন্দ্ৰই তেওঁৰ ৰাজ্যত আমাক ঠাই নিদিব। যোজনাই জন-সাধাৰণৰ কল্যাণ সাধিবলৈ হলে তাতে জন-সাধাৰণ অংশীদাৰ হ'ব লাগিব, জন-সাধাৰণৰ পাৰ্টিচিপেশন লাগিব। আমাৰ ৰাজনৈতিক স্বাধীনতাক সাৰ্থক কৰিবলৈ হ'লে অৰ্থনৈতিক তোৰণ সভা লাগিব। অৰ্থনৈতিক স্বাধীনতা পাবলৈ হ'লে আমি তাৰ যোগ্য হ'ব লাগিব। টোপনিয়াই থাকিব নালাগিব। ইটার্নেল ভিজিলেন্স ইজ্ দ্য প্ৰাইচ অব্ লিবার্টি। চৰকাৰে যদি আমাৰ কল্যাণ নাসাধে, চৰকাৰক পাছ পেলাই বা বগৰাই প্ৰজা আগবাঢ়ক। বাৰ্টোল্ট ব্ৰেখ্‌টে ক'ৰৰ দৰে, 'বহুত জাৱৰ-জোঠৰ গোট খাইছে। তাক আমিয়ে আঁটাব লাগিব।' এই 'আমি'টো ঋণাত্মক নহৈ ধনাত্মক হ'লেহে সি কাম দিব, জাৱৰ-জোঠৰ আঁতৰাব পাৰিব। অসমৰ এই 'আমি' আজি শুই আছে, কোনে 'আমি'ক শোষণ কৰিছে, তাক 'আমি'য়ে নাজানো। লেখক-কলাকাৰসকলৰ মই ভৰাত সৰাতো ডাঙৰ কৰ্তব্য হৈছে এই 'আমি'ক জগাই দিয়া, জীয়াই তোলা আৰু জীয়াই থাকিবলৈ কৰ্মত আত্মপ্ৰয়োগ কৰোৱা। অন্নদ্ ভবন্তি ভূতানি। আমাৰ ব্যক্তিগত আৰু সামূহিক জীৱন নিৰ্ভৰ কৰিছে অৰ্থনীতিত। আমাৰ কলা-সাহিত্যই আমাৰ অৰ্থনৈতিক জীৱন নিটোল কৰাত কি সহায় কৰিব পাৰে, তাতে তাৰ মূল্য নিৰ্ভৰ কৰিব। 'কবি, তুমি উঠা আহাঁ, নতুন সুৰেৰে তুমি জগত জগোৱাঁ।'

শিক্ষা, সাহিত্য প্ৰমূল্য :

সাহিত্যৰ সম্পৰ্ক জীৱনৰ প্ৰমূল্যৰ লগত অতি গাঢ়। সেই প্ৰমূল্যনিৰ্ণয়ৰ বাবে শিক্ষা হ'ল মানদণ্ড আৰু অস্ত্ৰ; কিন্তু আমাৰ দেশত শিক্ষাৰ আটাইতকৈ ডাঙৰ লক্ষণ হৈছে জীৱনৰ লগত অসহযোগ-অসংযোগ। প্ৰকৃত অৰ্থত জীৱনক গ্ৰহণ কৰিবৰ কাৰণে আমাৰ শিক্ষাই শিকনি নিদিয়ে। বৰং সি শিক্ষিতক জীৱনৰপৰা আৰু পাৰিপাৰ্শ্বিকতাৰপৰা বিচ্ছিন্ন কৰাটোকে দেখা গৈছে। শিক্ষাই আমাৰ অতি কাম্য অৰ্থনৈতিক আৰু সামাজিক প্ৰগতি সৃষ্টি কৰিব পৰা নাই। এফালে, আমাৰ এলাহুকলীয়া সমাজখনৰ জাতি-ভেদ, ধনী-দৰিদ্ৰ-ভেদ, কৰ্ম-পৰাংমুখতা আদি গ্লানিয়ে আমাক আজিও পীড়ন কৰি আছে, ধৰ্মৰ নামত কুসংস্কাৰ আৰু সংকীৰ্ণতাই সমাজক এতিয়াও বন্দী কৰি ৰাখিবলৈ বিচাৰিছে, আনফালে স্বাধীনতা লাভ আৰু আন ঐতিহাসিক প্ৰক্ৰিয়াই, আন কি তথাকথিত শিক্ষা প্ৰসাৰে আমাৰ আকাংক্ষাৰ আকলটো বঢ়াইছে অৰ্থাৎ 'আকাংক্ষাৰ বিস্ফোৰণ' ঘটাইছে আৰু যেন্তে কেইদশকত জ্ঞান বৃদ্ধিৰ পৰিমাণে সমাজখন আগবাঢ়ি নোযোৱাত আমাৰ মাজত প্ৰাচীন-আধুনিকৰ দ্বন্দ্ব সৃষ্টি কৰি 'জ্ঞানৰ বিস্ফোৰণ' সৃষ্টি কৰিছে। এই সকলোবিলাকেই এক আগন্তুক পৰিবৰ্তন সূচনা কৰে। শিক্ষা ঠিক পথেদি নগ'লে সেই পৰিবৰ্তনে জিঘাংসু বিপ্লৱৰ ৰূপ ল'ব ই প্ৰায় নিশ্চিত। যদি শিক্ষাৰ পৰিকল্পিত ক্ৰম আমি ঠিক কৰি ল'ব পাৰো আৰু সেই পৰিকল্পনাত সৰ্ব-সাধাৰণৰ আস্থা পাব পাৰো, তেতিয়া হ'লে বিদ্ৰোহৰ জিঘাংসাৰপৰা নিজকে ৰক্ষা কৰিব হয়তো পাৰিম। এই পৰিকল্পনা আৰু আস্থা নিৰ্ভৰ কৰে জীৱনৰ প্ৰমূল্যৰ ওপৰত। এইখিনিতে সাহিত্যিক সকলৰ ভূমিকা আহি পৰে। সাহিত্যত বিদ্ৰোহ আৰু প্ৰমূল্য বাণী আওৰোৱা লেখকসকলে সংযত জাতীয় বিকাশ আৰু প্ৰমূল্যত আস্থা সৃষ্টি কৰিবৰ যত্ন কৰিব লাগিব। আমাৰ জীৱনৰ নৈতিক আৰু আধ্যাত্মিক প্ৰমূল্য বা আত্মসংযমক অস্বীকাৰ কৰি দেশক আধুনিক আৰু উন্নত কৰিবলৈ যোৱাটো বিপজ্জনক পথ। আমি বিচাৰো বা নিবিচাৰো, সমাজৰ পৰিবৰ্তন হ'বই, কিন্তু সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধেহে সেই পৰিবৰ্তনক বাঞ্ছনীয় বিপ্লৱৰ ৰূপ দিব পাৰে। যি শিক্ষাই আমাক জীৱনৰ বাট হেকওৱাত মাত্ৰ সহায় কৰে, জন-সাধাৰণৰপৰা আমাক আঁতৰাই হাবিতে হওক বা কল্পলোকতে হওক মেলি দিয়েগৈ, সেই শিক্ষাক ধিক্‌কাৰ দিব লাগিব।

ভাৰতৰ যদি অৰ্থনৈতিক-সামাজিক পৰিকল্পনা সাৰ্থক কৰিবলৈ হয় শিক্ষা জীৱনপৰায়ণ, আধুনিক, মানৱমুখী হ'ব লাগিব। এইবোৰ বিচাৰৰপৰা চাবলৈ গ'লে আমাৰ বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়বোৰ অবাস্তৱতাৰ সৌধ। মই যদি ভৱিষ্যতৰ কিবা দেখা পাৱলৈ যত্ন কৰোঁ, হয়তো দেখিম, সেই সৌধবোৰ ভৱিষ্যতৰ জিঘাংসু বিদ্রোহৰ ঠাটকটক। যিবোৰ ল'ৰা-ছোৱালী এই অনুষ্ঠানবোৰলৈ আহে, তেওঁলোকৰ বহুত তাললৈ নাহি আনফালেদি যাব লাগিছিল, কাৰণ অনুষ্ঠানবোৰে তেওঁলোকক বেছিবপৰা বেছিকৈ জীৱনৰ বাবে অনুপযোগী কৰি পেলাইছে। শিক্ষাই তেওঁলোকক অশিক্ষা দিছে। আপোনালোকে সুধিব, তেনেহ'লে তেওঁলোক যাব ক'লৈ? সেয়ে কথা! যাব ক'লৈ? সমাজে যদি এই ল'ৰা-ছোৱালীবোৰক মানুহ হৈ জীয়াই থকাটো বিচাৰিছে, ক'লৈ যাব, ঠাইডোখৰ ঠিক কৰক। যি ছাত্ৰ মহাবিদ্যালয়ৰ বা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ যোগ্য নহয় বা সেইশিক্ষাৰ দ্বাৰা জীৱনত উপকৃত হোৱাৰ কোনো সম্ভাৱনা নাই, তেওঁলোকক উচ্চ শিক্ষালৈ টানি আনি কিয় কিলাই বেজ কৰিব খোজে? তেওঁলোকতো বেজ হ'ব নোৱাৰে। আপোনালোকে কিয় ধৰি লয়, বি, এ, আৰু এম, এ, বোৰহে শিক্ষিত? কিয় ভাৱে, হালৰ মুঠিত পথাৰ নদন-বদন কৰা খেতিয়কজনক কৃষি-পণ্ডিত বুলিলে মস্কৰাহে কৰা হয়? আমাৰ শিক্ষা তথা সংস্কৃতিৰ এই ক্ষেত্ৰত একমাত্ৰ নিষ্কৃতিৰ পথ মাধ্যমিক শিক্ষা পৰ্যায়ৰ পৰা সৰহভাগ ছাত্ৰ-ছাত্ৰীকে বৃত্তিমূলক শিক্ষানুষ্ঠান, ভোকেচনেল ইনষ্টিটিউটলৈ লৈ যাব লাগিব। চৰকাৰেও জানে, এয়ে তাৰ এটি সজ পথ হ'ব। এই কথা উপলব্ধি কৰি চৰকাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। ৰাজহুৱাভাৱেও এনে কাৰ্য সম্পন্ন কৰা সম্ভৱ হ'ব পাৰে। এই পথ ল'লে দেশৰ অৰ্থনৈতিক, সামাজিক উন্নয়নৰ পথতে আমি ওলামগৈ। নিকা সাজ পিন্ধা বাবু সভ্যতাই আমাক আৰু নতৰায়; কৰি খোৱা শিক্ষাকেই আমাক আজি লগা হৈছে। সিয়ে প্ৰকৃত সংস্কৃতিৰ বাহক হ'ব পাৰিব। ১৯৬৪-৬৬ ৰ শিক্ষা আয়োগে মাধ্যমিক শিক্ষাৰ অন্তৰ্গত কৰি কৰ্ম-অভিজ্ঞতা বোলা এপদবিদ্যাৰ বিধান দিছে; কিন্তু ইমানদিনৰ বাবু-শিক্ষাই আমাক ইমানেই অকৰ্মণ্য কৰ্মবিমুখ কৰি পেলালে যে সেই ব্যৱস্থাক আমি সহৃদয়তাৰে গ্ৰহণ কৰিবপৰা নাই। বাবু হ'বলৈ আমি পঢ়োঁ, বুটি-নাঙল বা হাতুৰীত হাত লগালে আমাৰ বাবুৱামি বৰ্বাদ হ'বঃ এয়ে আজিৰ আমাৰ খোৱা সভ্যতাৰ বিভীষিকা! এই জীৱনবিমুখী শিক্ষাৰ সংস্কাৰ কৰি দেশৰ জনসাধাৰণক কৰ্মৰ মন্ত্ৰ দিয়াটো সাহিত্যিক-কলাকাৰসকলৰ কৰ্তব্য হৈ পৰিছে। নহ'লে ভৱিষ্যতৰ জিঘাংসাৰপৰা আমি দেশক ৰাখিব নোৱাৰিম।

অসমীয়া ভাষা-সাহিত্যৰ শিক্ষণ-প্ৰশিক্ষণ :

দহবছৰমান আগতে দেৱকান্ত বৰুৱা অসমৰ শিক্ষামন্ত্ৰী থকা কালতে বিভিন্ন স্তৰত অসমীয়া ভাষা-সাহিত্য শিকোৱা আৰু অসমীয়া ভাষা-সাহিত্যত তাৰ প্ৰক্ৰিয়া সম্পৰ্কে অনুসন্ধান কৰি এখন প্ৰতিবেদন দাখিল কৰিবৰ অৰ্থে এখন সমিতি নিৰ্মাণ কৰি দিয়া হৈছিল। শিক্ষাদপ্তৰৰ বঙা ফিটাৰ মেৰৰপৰা সমিতিখন ওলাই আহি সদস্যসকলৰ ওচৰকে নাপালেহি। কাৰণ বোধহয় জ্ঞানী শিক্ষাধিকাৰ আদিয়ে ভাবিলে অসমীয়া বিষয়ৰ পঢ়া-পঢ়ুওৱা নিকৃষ্ট হ'লেও জগতৰ কাৰনো কি ক্ষতি হ'ব? কিন্তু ক্ষতি হৈছে। বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ লগত সংশ্লিষ্টসকলে জানে, পৰীক্ষাৰ উত্তৰণ অংকক আৰু তাৰ ঠিক ওপৰৰ দুই-এক অংকৰ ভিতৰতেহে প্ৰায় সকলো পৰীক্ষাৰ্থী অসমীয়া বিষয়ত উত্তীৰ্ণ হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এম্, এ, পৰীক্ষাৰ কৃতকাৰ্যতাৰ মাত্ৰা যোৱা আঢ়ৈ দশকত শতকৰা ৮৪ ৰ পৰা ৪০-৪২ লৈ নামি আহিছে। অৱশ্যে তাৰ ভিতৰত নিজে পঢ়ি পৰীক্ষা দিয়াসকলো আছে। উত্তীৰ্ণসকলৰ ভিতৰত শতকৰা ৪৫ ৰ পৰা ৫০ অংক পোৱাসকলেই কৃতকাৰ্য পৰীক্ষাৰ্থীৰ শতকৰা ৮০ ভাগ ঠাই অধিকাৰ কৰে। এই দুৰৱস্থাৰ কাৰণ কি? যদি বিশ্ববিদ্যালয়ে মহাবিদ্যালয়ক, মহাবিদ্যালয়ে বিদ্যালয়ক দোষে, সেই দোষাৰোপ ওভতা সোঁতত চলিব পাৰে। বিশ্ববিদ্যালয়ে যিসকলক এম্, এ, উলিয়াই দিছে, সেইসকলেই মহাবিদ্যালয়ৰ অধ্যাপক হয়গৈ। সেইখিনিতে অৱশ্যে এটা কথা মহাবিদ্যালয়ে সদায় উৎকৃষ্টজন প্ৰাৰ্থীক নলয়। এবাৰ দেখা পাইছিলোঁ, ষষ্ঠস্থান পোৱা এম্, এ, জনক এবি ৬৭ তম জনক স্থানীয় বুলি মকৰল কৰা হৈছে। যি কোনোৰূপে এম, এ, হৈ কলেজত সোমোৱাৰ লগে লগে শিক্ষকসকলে অধ্যয়ন ত্যাগ কৰে। অথচ সেই সময়ত সিসকলে অধ্যয়ন আৰম্ভহোৱা বুলিহে ধৰিব লাগিছিল। অসমীয়াৰে নহয়, ভাৰতীয় অন্যান্য সাহিত্য আৰু ভাৰতৰ বাহিৰৰ ইংৰাজীকে মুখ্য কৰি আন সাহিত্যৰ লগত পৰিচয়ৰ বাবে সিসকলে যি

যত্ন কৰিব লাগে, সেই যত্ন কৰা নহয়। অসমীয়া ভাষা-সাহিত্যৰ নৱৰূপ নিৰ্মাণত অসমীয়া বিষয়ৰ শিক্ষকসকলৰ মহৎ এটি ভূমিকা আছে, যি ভূমিকা গ্ৰহণৰ বাবে আমি আজি দুই বা এজন তেনে শিক্ষকক বাদ দি ইংৰাজী সাহিত্যৰ অধ্যাপক আৰু আন কি পদাৰ্থবিদ্যা আৰু কাৰিকৰি-বা জানপদ-সেৱাৰ লোকৰ ওপৰতহে নিৰ্ভৰ কৰিছো। আনফালে, অসমীয়া ভাষা সিসকলৰ সমস্ত ছাত্ৰ-জীৱনতে সচেতন ভাৱে শিকা নোহোৱা বাবে, সিসকলে অসমীয়া সাহিত্য চৰ্চাত হাত দিলেও অপৰিপক্কতাৰ সাঁচ তাত বৈ যায়। সৰুৱেপৰা ব্যাকৰণ-অভিধানৰ প্ৰতি আকৰ্ষণ নাথাকিলে শুধ ভাষা লিখা সঁচাকৈয়ে টান। প্ৰাথমিক আৰু মাধ্যমিক স্তৰত শিক্ষাৰ যি সম্প্ৰসাৰণ ঘটিছে, তাৰ ফলত শিক্ষাৰ দৃঢ়তাফেৰা কমিছে। আঢ়ৈকুৰি বছৰ আগতে যি নিষ্ঠাৰে ধুনীয়া আখৰ লিখাৰ, হ্ৰস্ব-দীৰ্ঘ আদিৰ কন্দল নলগা শব্দৰ জোঁতনি, জতুৱা ৰূপ বাখি বাক্য গ্ৰথন-প্ৰণালী আদিৰ শৃংখলা তলৰ শ্ৰেণীৰপৰা বিদ্যাৰ্থীয়ে লাভ কৰিছিল, সেই নিষ্ঠা যেন আজি উভি গৈছে। নব্য শিক্ষাবিদৰ তত্ত্ববাগীশী হেঁচাত আগৰ পাঠ্য পুথিৰ সৰল সংবেদন, ভাষাগত স্বাস্থ্য, ভাৱগত ঐশ্বৰ্য সকলো বিপন্ন হৈ পৰিছে। এই সকলোবিলাকৰ ফলস্বৰূপে পাঠ-শ্ৰেণীত কি, পৰীক্ষাঘৰত কি, আমাৰ সাহিত্য-মহলত কি, সকলোতেই অসমীয়া ভাষা বিশ্ৰী হৈ পৰিছে। আনফালে, পূৰ্বতে যি সংস্কৃত ভাষা মাধ্যমিক স্তৰত আৱশ্যিকভাৱে শিকিব লাগিছিল, মাধ্যমিক পৰিষদৰ বিদ্যাবিশাৰদসকলৰ অনুগ্ৰহত তাৰ আজি বহিষ্কাৰ ঘটিছে! অসমীয়া ভাষাই আৰু এতিয়া বল পায় ক'ৰপৰা? বঙলা ভাষা ছেগাচোৱোকাকৈ পঢ়াৰ ফলত আমাৰ কোনো সাহিত্যিকৰ লেখাৰ জলঙাইদি দুটা-এটা তৎসম শব্দ নতুনকৈ আমাৰ মাজত সোমালেহিও, তাৰ প্ৰয়োগৰ বেলা লেখকৰ খোজ খৰক-বৰক হোৱা আমাৰ চকুত পৰে। আধুনিক জ্ঞানৰ বিস্তাৰ আৰু পাৰিভাষিকৰ বহুলতৰ প্ৰয়োগৰ বেলা সচেতনভাৱে, বৈজ্ঞানিকভাৱে ভাষাৰ অনুশীলন নহ'লে ভাষাটোৱেই তাৰ স্থৈৰ্য সম্পৰ্ণৰূপে হেৰুৱাই পেলাব। এই সকলো দিশৰপৰা প্ৰশ্নটো আলোচনা কৰিলে, অসমীয়া শিক্ষণ-প্ৰশিক্ষণৰ বিষয়টো শিক্ষাৰ ব্যৱস্থাপকসকলে গভীৰ গুৰুত্ব দি বিচাৰ কৰি তাৰ স্থিৰ পদ্ধতি নিৰূপণ কৰাটো গভীৰ গুৰুত্ব দি বিচাৰ কৰি তাৰ স্থিৰ পদ্ধতি নিৰূপণ কৰাটো অত্যন্ত আৱশ্যকীয় হৈ পৰিছে। অসমীয়া ভাষাৰ স্বৰূপটোৰ ইমান দ্ৰুত পৰিৱৰ্তন ঘটিব লাগিছে যে তাক বিপ্লৱ যেনেই লগা হৈছে। সেই বিপ্লৱত ঐতিহ্যৰ যোগ ৰখা প্ৰয়োজনীয়। নহ'লে সি মাথোন হঠাৎকাৰিতা আৰু বুদ্ধিহীনতাৰ কৰ্মও হৈ উঠিবগৈ পাৰে আৰু সিয়ে হ'লে আমাৰ ভাষাৰ লগত তাৰ ঐতিহ্যৰ যোগসূত্ৰই হেৰাই পৰিব।

নতুন সংস্কৃতি, নতুন শংকৰদেৱ ঃ

যেই কোনো কিছিমৰ যেই কোনো দুটা গান আৰু যেই কোনো ভংগীমাৰ এটা নাচৰ পাকৰ সমষ্টি হ'লেই যেতিয়া 'সাংস্কৃতিক সম্মেলন' হ'ব পাৰে, সেই সময়ত সংস্কৃতিৰ যেন নতুন সংজ্ঞা এটা সংজ্ঞায়িৱাকৃত হৈছে— যি সংজ্ঞাৰ ভিতৰত সাহিত্যও নপৰে, জীৱন-পদ্ধতিও নপৰে, জাতীয় চৈতন্যও নপৰে। হায় সংস্কৃতি! তুমিযে কেনেকৈ 'বৃন্তহীন পুষ্পসম আপোনাতে আপনি বিকশি' ঐতিহ্যৰ লগত বিচ্ছিন্ন হৈ পৰিব পাৰা !!

স্বাধীনতা-লাভৰ পিছৰপৰা ভাৰতবৰ্ষত পপ্-টুইষ্টলেকে বিশ্বৰ সকলো কলাবস্তু আহি বচক-পচক কৰিছেহি, সঁচা; কিন্তু এই কালছোৱাৰ মোৰ মনেৰে সৰাতো-বৈশিষ্টপূৰ্ণ সাংস্কৃতিক ঘটনা হৈছে ভাৰতৰ আত্মাৰ আবিষ্কাৰ। সেই আত্মা পৰাধীনতাৰ গচকত কণ্ঠগতপ্ৰাণ হৈ বেকুউড়ছ, গাঁৱত সোমাই কলঢোপ কলঢোপকৈ জীয়াই আছিল। ভাৰতৰ ধ্ৰুপদী সংস্কৃতি আৰু কলাজীৱনৰ মধ্য-যুগত যিটো নৱবিকাশ ঘটিছিল, সি সমস্ত দেশৰ জন-জীৱনৰ তলিলৈকে চুইছিলগৈ। তাৰে প্ৰকাশ হ'ল নৱবৈষ্ণৱ সম্প্ৰদায়বোৰ, সেই সম্প্ৰদায়বোৰৰ আশ্ৰিত ধ্ৰুপদ আদি উচ্চাংগৰ সংগীত, ভৰতানুগ নৃত্য-নাট্য, কৃষ্ণাশ্ৰিত চিত্ৰশৈলী আৰু কৃপজল-সদৃশ সংস্কৃত পৰিহৰি বহতী-নীৰ-সদৃশ কথিত ভাষাৰ কবিতা। প্ৰান্ত-ভেদে এই সকলোবোৰ পৃথক পৃথক যেন লাগলেও একে অনুপ্ৰেৰণা, এক মানৱতাবোধ, সমান ৰীতি আৰু বিস্তাৰৰ সমান ক্ষেত্ৰেৰে সকলো একেটি বস্তু। পদ-পদ-লেহনে আমাক যদিও সেইবোৰক হেয় কৰি চাৰৰ প্ৰয়াস দিছিল, দেশৰ জন-সাধাৰণৰ হৃদয়ত ঠাই লৈ সেই সাগৰ-গভীৰ সংস্কৃতি ছিন্নমূল নহ'ল। জন-জীৱনৰ মাজত শিপা মেলি থকা সেই বস্তুটি সেই দেখি আজি আকৌ সাৰ পাই উঠিছে। আমাৰ

নিজৰ পৰিধিৰ ভিতৰত সেই বস্তুটিৰ নাম শংকৰদেৱ। সেই শংকৰদেৱকে কেন্দ্ৰ কৰি আমাৰ জাতীয় জীৱন, আন কি পৰাধীনতাৰ কালতো ঘূৰি আছিল।

কিন্তু বাহিৰত শংকৰদেৱ ব্যৰ্থ হৈছিল। গাৱোঁ-ভোট-যৱন-মিৰি-অসম-কছাৰী-ব্ৰাহ্মণ-কায়স্থ-নিৰ্বিচাৰে সকলোকে উচ্চতৰ জীৱনৰ সন্ধান দিয়া, সকলোকে হৰিভকত বুলি সাৱটি লোৱা, যত জীৱ-জংগম-কীট-পতংগম অগ-জগ-নগক একে সত্যৰ কায়াৰূপে দৃষ্টি কৰা সেই মানৱতাৰ মহাদূতজনক যেতিয়া নিহিত স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীলতাত বন্দী কৰি ব্যৰ্থ কৰা হৈছিল, তেতিয়া ভাৱ হৈছিল, ধাৰকৰা সভ্যতাৰ ম'ৰা-পখিয়েই আমাক তাৰিব; কিন্তু আজিহে বুজিছো, ভাৱতৰ সাংস্কৃতিক মানচিত্ৰত বা বহল জগতৰ গোলকত আমাৰ ৰঙা ৰাজ্যৰ চিন যদি আছে, তাৰ ৰাজধানীৰ নাম মহাপুৰুষ। শংকৰদেৱৰ প্ৰতিভা বিকশিত হৈছিল সাহিত্য, সংগীত, নাট্য, চিত্ৰকলা আদি ধ্ৰুপদী সম্পদক জন-জীৱনৰ অলংকৰণ কৰি থৈ যোৱাত। গতিকে 'শংকৰক মাৰি গাৰ ছালেৰে দামা চাই হাড়েৰে বজাব' খোজাসকলৰ হাড়ত অৰণ্য গজিল যদিও, মহাপুৰুষৰ আধ্যাত্মিক ৰাজ্য আজিও জহি-পমি যোৱা নাই। 'ভোড়াতাল বজাই অদ্ভুত পাদ-তাড়না কৰা,' মাহ-চাউল খোৱা, সাংসাৰিক কৰ্ম পৰিহাৰকৰি জীৱনক অসাৰ দেখাতে মহাপুৰুষৰ বাণী পৰ্যৱসিত নহয়। এক সৰ্বাত্মক সংস্কৃতি আৰু উচ্চ আধ্যাত্মিক জীৱনৰ আহ্বানহে সেই বাণীৰ মৰ্ম। সেই মৰ্মই আজিও আমাৰ সামগ্ৰিক জীৱনৰ পৰিচয়। তাতেই আধুনিক বিজ্ঞান আৰু অৰ্থনৈতিক ভৌতিকবাদৰ মাজতো আৰু অনুষ্ঠান-স্বৰূপে ধৰ্মৰ গ্লানি আৰু পতনৰ বেলাও আজি শংকৰদেৱৰ ৰেলিভেঞ্চ ভাগৰিপৰা নাই। জন-জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এই ৰেলিভেন্সৰ বৈজ্ঞানিক বিচাৰ-বিশ্লেষণ হ'ব লাগে। আৰু হ'ব লাগে জন-জীৱনক অবিৰলভাৱে মাধুৰ্য দি সঞ্জীৱিত কৰি ৰখা কলা-কৰ্মৰ আধুনিক গৱেষণা আৰু মূল্যায়ন। ইউৰোপত বিটফেনৰ ছিম্ফনি বুজিব নোৱাৰিলে বা বাখৰ কোৱায়াৰ সংগীত উপলব্ধি কৰিব নোৱাৰিলে অন্য আনুষ্ঠানিক শিক্ষা পোৱা লোকো শিক্ষিত সংস্কৃত বুলি পৰিগণিত নহয়! কিন্তু আমাৰ তথাকথিত শিক্ষিতসকলে ৰৰগীতযে ধ্ৰুপদী সংগীত বা সত্ৰীয়া নৃত্য আৰু ওজাপালি যে ধ্ৰুপদী নৃত্য, তাৰ খৱৰকেৱা ক'ত ৰাখিছে? অসমতযে উচ্চাংগৰ এক চিত্ৰকলা আছে; সেই বতৰাফেৰাকেৱা কোনে বিচাৰে? ই জানো আমাৰ সংস্কৃতিৰ পৰিহাস নহয়? আমাৰ সাহিত্যিৰ কলাকাৰসকলেই দয়াকৈ মোক এই প্ৰশ্নৰ উত্তৰ দিবনে? সৰ্বভাৰতীয় ক্ষেত্ৰত সত্ৰীয়া নৃত্য, ওজা-পালি, 'অংকীয়া নাট আৰু ৰৰগীত সৰ্বশ্ৰেষ্ঠ ৰাষ্ট্ৰীয় সন্মানৰ বাবে স্বীকৃতি হৈছে; কিন্তু অসমত সেই সম্পদ কেইপদৰ কোনো বৈজ্ঞানিক উপলব্ধি নাই। আমাৰ জনজাতীয় নৃত্যসমূহে দিল্লীত গৈ মহাসমাদৰ পায়। অসমত নাপায়। এইবোৰ বাহিৰত ক'ৰ পৰা কথানে বাৰু? ই আমাৰ সাংস্কৃতিক অসচেতনতাৰ মাথোন সাক্ষী নহয়নে? তথাপি নুগুৰি-নগণি আমি গাওঁ, সকলো আছিল, সকলো আছে।" মই গাব খুজিছোঁ, 'আমি অসমীয়া, নহওঁ দুখীয়া বুলি সান্ত্বনা লভিলে নহ'ব।' আপোনালোকে বেজাই নেপাব। বাহিৰত ফুৰি নিজৰ যি গ্লানি মোৰ গাজত লাগিছেগৈ, তাৰে কথা মাথোঁ কৈছো। আমাক আজৰ যুগলৈ নতুন সংস্কৃতি আৰু নতুন এক শংকৰদেৱ লাগে। জানো. শংকৰদেৱৰ দানৰ সেই মহত্ত্ব আৰু চিৰনবীনত্ব আছে।

নতুন সাহিত্যৰ পৃথিৱীখন ঃ

চাৰি বছৰৰ আগতে ভাৰত চৰকাৰৰ শিক্ষা-মন্ত্ৰণালয়ে তেওঁলোকৰ প্ৰতিনিধিৰূপে মোক পূৰ ইউৰোপৰ তিনিখন সমাজবাদী ৰাষ্ট্ৰলৈ কলা-সাহিত্যৰ বক্তৃতা কৰিবলৈ আৰু তাৰ কলাকাৰ-সাহিত্যিকাৰসকলৰ লগত মিত্ৰতা কৰিবৰ কাৰণে পঠাইছিল। আপোনালোকে জানেই চাগৈ যে ছোভিয়েটৰদৰে এই দেশবোৰতো লেখক-সংঘ আছে, সংঘৰ কঠোৰ শৃংখলাৰ মাজত লেখকসকলে সাহিত্য-চৰ্চা কৰে, সংঘই লেখকসকলৰ লেখা পৰীক্ষা কৰি লোৱাৰ পিছতহে প্ৰকাশ কৰে আৰু সমাজবাদী ৰাষ্ট্ৰ আৰু সমাজ-নিৰ্মাণৰ পথত লেখা কিমান আগ বাঢ়ে, তাৰ ওপৰতে তাৰ মূল্যও নিৰ্ণয় কৰা হয়। সংঘৰ সদস্যসকলে শান্তিত সাহিত্য-চৰ্চা কৰিবৰ অৰ্থে নিয়মিত বানচ পাই থাকে আৰু লেখাৰ বাবে সুকীয়াকৈ ধন পায়েই। সংঘত যোগ নিদিয়া লেখকসকল এইবোৰ সুবিধাৰপৰা বঞ্চিত; কিন্তু তেনে লেখকো নোহোৱা নহয়। আনফালে ছোভিয়েট লেখক-সংঘই নীতি উলংঘা কৰা বুলি ৰবিছ্ পেষ্টাৰ্নেক, আলেকজেণ্ডাৰ ছোলজেনিটছিন্ আৰু যোৱা মাহতহে আৰু এজনা ঔপন্যাসিক ৬৬ বছৰীয়া কুমাৰী লিডিয়া চুকভ্স্কায়াক বহিষ্কাৰ কৰিছে। ছোলজেনিট্ছিনৰ নতুন উপন্যাস 'গুলাগ্ আৰ্কিপেলাগো' এই বছৰৰ

প্রথমদিনা পেৰিছৰপৰা ওলাইছে। সংঘই এইসকল লেখকক বাষ্টুৰ শত্রু বুলিয়ে ধৰে।

হাংগেৰি প্রবেশ কৰা পিছদিনা পুৰায় হাংগেৰিয়ান পি. ই. এন.ৰ প্রধান সচিব আৰু বুডাপেষ্ট বিশ্বদ্যিালয়ৰ ইংৰাজীৰ অধ্যাপক লাজলো কেৰিক লগ পাইছিলো আৰু সাহিত্যতত সমাজবাদী দর্শনৰ প্রয়োগৰ এজন অগ্রদূত জর্জ লুকাছৰ কথা পাতিছিলো। লুকাছ হাংগেৰিয়ান আৰু ঘাইকৈ জার্মান ভাষাতে তেওঁৰ গ্রন্থ ৰচনা কৰিছে। আজি লুকাছক লেখক-সংঘয়ো নিজৰ লগৰ বুলি নধৰে। লুকাছ কম বয়সতে কমিউনিষ্ট ভাৰৰ পোষক হৈছিল। কেইদিনমান বেলা কুন মন্ত্রসভাত সংস্কৃতিৰ মন্ত্রী থকাৰ পিছত ১৯১৯ ৰ বিপ্লৱত যোগ দিছিল, তাৰ পিছত ১৯৩৩ পর্যন্ত বালিনতে আছিল। সেই বছৰত ছোভিয়েট ৰুছিয়ালৈ প্রব্রজন কৰি সমাজবাদী বাস্তৱবাদৰ তাত্ত্বিক হৈ পৰিছিল। ১৯৪৫ ত তেওঁ বুডাপেষ্ট বিশ্ববিদ্যালয়ৰ প্রাধ্যাপক হোৱাৰ পিছতে তেওঁক পার্টিয়ে বালাজাক, টলষ্টয় আৰু তমাছ মেনৰ লেখীয়া 'বুর্জোৱা' ঔপন্যাসিকক উচ্চভাবে প্রশংসা কৰা বাবে তিৰস্কাৰ কৰে, যদিও ১৯৫৬ পর্যন্ত নন্দনতত্ত্বৰ প্রাধ্যাপক থকাৰ পিছতহে তেওঁ অৱসৰ লয়। ১৯৫৩ চনত ষ্টেলিনৰ মৃত্যুৰ পিছত ছোভিয়েটত কলাৰ মুক্তিৰ যিটো কাল আৰম্ভ হয়, তাকে ৰুছত ওষ্টেপেল আৰু ইংৰাজীত দা থ বোলা হয়। ইয়াৰ মাজতে ১৯৫৬ চনত হাংগেৰিয়ান বিপ্লৱ ঘটে; সেই বছৰতে লুকাছ ইম্রে নাজ মন্ত্রীসভাৰ সদস্য হৈছিল। থ-ৰ সময়ত লুকাছে কমিউনিষ্ট-বনাম-পুঁজিবাদী সংঘর্ষৰ কথাৰপৰা আঁতৰি যুক্তিবাদ, শান্তি আৰু প্রগতিবাদৰ বিচাৰত গুৰুত্ব আৰোপ কৰিবৰ যত্ন কৰিছিল। ১৯৫৬ ৰ বিপ্লৱৰ পিছতে তেওঁ সাময়িকভাবে ৰোমানিয়ালৈ নির্বাসিত হৈছিল। সি যি নহওক, তেওঁৰ ১৯২০ ৰ 'থিঅৰি দেছ্ ৰোমান্স'ৰ (থিঅৰি অব্ দ্য নভেল) আৰু পিছৰ ১৯২৩ ৰ গেছকিষ্ট উণ্ড ক্লাছেনবিভুৎসেইন' (হিষ্টাৰি এণ্ড ক্লাছ-কনছাছ্নেছ্) গ্রন্থই সামাজিক বিৱর্তনৰ প্রতিবিম্বৰূপে সাহিত্যৰ মার্ক্সিষ্ট সমালোচনাৰ ভিত্তি স্থাপন কৰে। ১৯৫০ ছনত ওলোৱা তেওঁৰ 'ষ্টাডিজ্ ইন্ ইউৰোপিয়ান্ ৰিয়েলিজ্ম' গ্রন্থখন 'টাইমছ্ লিটাৰেৰি ছাপ্লিমেণ্ট'ৰ পৰা হাৰ্বাট ৰিড্, তমাছ মেনলৈকে সকলো ধৰণৰ চিন্তাৰ গোষ্ঠীয়ে অতি শ্রেষ্ঠ সমালোচনা-কর্ম বুলি বাহু তুলি সমাদৰ জনাইছে।

'ষ্টাডিজ'ৰ প্রবন্ধকেইটা প্রায় ত্রিশৰ দশকৰ ভিতৰতে লেখা। দহ বছৰমানৰ পিছত (১৯৪৮) লেখা তাৰ পাতনিত লুকাছে নিজেই সিৰোৰক নতুন দৃষ্টিৰে চাইছে। লেকাৰ সময়ত সাহিত্যক এক ছায়াবাদে আচ্ছন্ন কৰি ৰাখিছিল। এতিয়া কিন্তু মার্ক্সৰ শিক্ষাৰ ফলত সকলো বস্তুৱে যেন নির্মম ৰূপ ধাৰণ কৰিলে। মার্ক্সবাদে সকলো কথাৰে ভৌতিক মূলৰ বিচাৰ কৰে, সিহঁতৰ ঐতিহাসিক উৎসৰ অনুসন্ধান কৰে আৰু সকলোটিকে মাথোন ভাৱপ্রৱণতা বা অযৌক্তিকতা বা ছায়াবাদী আৱৰণৰপৰা তুলি বদ্ধিৰ পৰিষ্কাৰ পোহৰত স্থাপন কৰে। সত্যক তাৰ নির্মম বাস্তৱ ৰূপত গ্রহণ কৰাতে প্রকৃত মানৱতা আৰু গতিকে প্রকৃত কবিতানিহিত হৈ থাকে। যোৱা দুখন মহাসমৰৰ মাজৰ কালছোৱাৰ দর্শনক নৈৰাশ্যবাদে আচ্ছন্ন কৰিছিল। স্পেংলাৰ আৰু হেইডেগাৰ, এই দুজন জার্মান, তথা অন্যান্য চিন্তানায়কৰ দর্শনো 'হতাশাৰ দর্শন' হৈছিল। লুকাছে দেখুৱাইছে, য'ত এই হতাশাৰ দর্শনে জগতৰ সংহাৰ আৰু সংস্কৃতিৰ ধ্বংস দেখা পায়, তাত মার্ক্সিষ্টসকলে এখন নতুন জগতৰ জন্মৰ যন্ত্রণা দেখা পাই সেই যন্ত্রণাৰ উপশমৰ বাট বিচাৰ। ই কেবল দর্শন বা সমাজতত্ত্বৰে কথা নহয়। তেওঁ ঔপন্যাসক 'আধুনিক বুর্জোৱা সমাজৰ প্রধান কলা-ৰূপ বুলি কৈ কলাকাৰ-ৰূপে এফালে ফ্লবাৰ, জোলা, আঁদ্রে জিড্, প্রুষ্ট আৰু জয়চক বুর্জোৱা বুলি নিন্দা কৰি বালজাক্, টলষ্টয় আৰু তমাছ মেনক সার্থক ঔপন্যাসিক বুলি দেখুৱাইছে। ইয়াৰ মাজত ইতিহাসৰ দর্শনৰ প্রশ্ন হৈছে, আজিৰ সংস্কৃতিৰ আলিটো উধাইছে নে ৰসাতললৈ গৈছে। লুকাছে কৈছে যে ফ্লবাৰৰ 'লেড়ুকেশাঁ ছেণ্টিমেণ্টাল'তে আধুনিক সংস্কৃতিৰ অন্ধকাৰাচ্ছন্ন পৰিৱেশ প্রথমতে আঁকি দেখুৱা হয়। 'বুর্জোৱা নন্দন তাত্ত্বিকসকলে আৰু সমালোচকসকলে, তেওঁলোকৰ মাজতে এই পুথিৰ লেখকেও, সেই অন্ধকাৰৰ পৰা পোহৰলৈ বাট বিচাৰি নোপোৱা হৈছিল। সকলোৱে কবিতাক মাথোন অন্তর্বাস্তৱ জীৱন-প্রকাশৰূপে বা সামাজিক নৈৰাশ্যৰ স্বীকৃতি ৰূপে বা বৰ বেছি সান্ত্বনাৰূপে জান কৰিছিল।' বুর্জোৱা নন্দনতত্ত্বৰ এই নৈৰাশ্যৰ মাজত মার্ক্সিষ্ট ঐতিহাসিক দর্শনে এই আশা দিলে যে মানৱ জাতিৰ বিৱর্তনে আমাক অন্ধকাৰ বা শূন্যলৈ লৈ যোৱা নাই। লুকাছে দেখুৱাইছে যে মার্ক্সিষ্ট নন্দনতত্ত্বৰ অসীম শ্রদ্ধা মানৱৰ প্রগতীৰ ঐতিহ্যৰ প্রতি। এই ঐতিহ্যৰ মূল কথা হ'ল সমাজৰ সামগ্রিকতাত মানৱক সমগ্র ৰূপত বিকশিত কৰা। শ্রেণীভক্ত সমাজত সেই সমগ্র মানৱৰ যি অংগচ্ছেদ ঘটিছে, তাৰপৰা নিটোল মানৱীয় ব্যক্তিত্বক ৰক্ষা কৰাই প্রোলিটেৰিয়ান মানৱবাদৰ লক্ষ্য। লুকাছে সেই বাবে ঘোষণা কৰিছে, দ্য চেন্ট্রাল

এস্থেটিক্ প্রব্লেম্ অব্ বিএলিজম্ ইজ্ দ্য এডেক্বেট্ প্রেজেন্টেশান্ অব্ দ্য কম্প্লিট হিউমেন পার্ছনেলিটি। মার্ক্স, লেনিন আদিব সমাজবাদ আৰু কলাব সম্পৰ্ক সম্পৰ্কে ব্যাখ্যাব অনেক পুথি আছে; কিন্তু নন্দনতত্ত্বব মার্ক্সিস্ট ধাৰণা সম্পৰ্কে লুকাছব ব্যাখ্যাই আটাইতকৈ শৃংখলাবদ্ধ বুলি আজিব সমালোচকসকলব অভিমত।

যি সাহিত্যিব লগত ভাৰতীয় চিন্তাব প্রত্যক্ষ সম্বন্ধ ইমানদিনে বর্তি আহিছে, সেই ইংৰাজী সাহিত্যত ত্রিশব দশকতো ফৰাচী বা আন ইউৰোপীয় বৌদ্ধিকসকলক আলোড়িত কৰা মার্ক্সবাদে বিশেষ এটা ধাৰা সৃষ্টি কৰিব পাৰিছিল বুলি মনে নধৰে। বামপন্থী ৰাজনীতিব ছাঁ অডেন, ডে লিবিছ, ষ্টিফেন স্পেণ্ডাব আদিব কবিতাত পৰিছিল। কিন্তু স্পেণ্ডাবে ক'বব দবে, টু এ গ্রেট এক্সেটেন্ট, দেয়াব পএট্রি, দ' লেফ্টিষ্ট এক্সপ্রেছেজ্ দ্য প্রব্লেম অব্ দ্য লিবাৰেল ডিভাউডেড্ বেট্ৰিন, হিজ্ ইণ্ডিভিজুৱেল ডেভেলপমেণ্ট এণ্ড্ হিজ্ ছোছিয়েল কন্শেপ্ত। সিমানেই। স্পেণ্ডাবো এসপ্তাহ মাথোন পার্টিব সদস্য আছিল। অডেনে নিজকে 'পিছ্ লিবাৰেল' বুলিছে। চিচিল ডে লিবিছব 'দ্য মাইণ্ড্ ইন্ চেইন্ছ'ত (১৯৭৩) এডৰার্ড আপৰার্ডে ঘোষণা কৰিছিল, এতিয়াৰপৰা মার্ক্সিস্ট মতবাদব পুথিহে সংগ্রহ হ'ব পাৰিব; কিন্তু সেই মতবাদ থকা আলোচনা-সমালোচনাহে প্রকৃতপক্ষে বামপন্থীৰূপে ধৰা দিয়ে। ৰুছিয়াতে কমিউনিষ্ট হৈ অহা ৰাল্ফ্ ফক্স্ পার্টিব মুখ্য সাহিত্যতাত্ত্বিক আৰু তেওঁব 'দ্য নভেল এণ্ড দ্য পিপল' (১৯৩৭) মার্ক্সবাদব সুন্দব সাহিত্যিক প্রয়োগ। মাথোন ত্রিশটা বছব জীয়াই থকা আৰু মাথোন তিনিটা বছব মার্ক্সীয় সাহিত্য ঘটিবলৈ পোৱা ক্রাইষ্টোফাব কডৱেল (১৯০৭-৩৭) এক অদ্ভুত প্রতিভা, তেওঁব 'ইল্যুশান্ এণ্ড বিএলিটি' আদি নিবিড় চিন্তাব পৰিচয়; কিন্তু কডৱেল আৰু ফক্সক বাদ দি ইংৰাজীত সাহিত্যতকৈ ইতিহাসতহে মার্ক্সীয় ধাৰা অধিক স্পষ্ট ৰূপত পোৱা যায়।

মই হাংগেৰিত আজি বিভিজনিষ্ট নামে জনাজাত লুকাছব কথা কওঁতে কওঁতে ইংৰাজী সাহিত্যিব কথা পালেহি। আজি হাংগেৰিব জীৱন্ত সাহিত্যত সমাজবাদী বাস্তৱবাদব প্রতুল প্রয়োগ ঘটিছে। কি কবিতা, কি উপন্যাস, কি নাট বা আন সাহিত্য, সকলোতে এটি মাথোন চিন্তা— মানুহ, সামাজিক বন্ধনহীন মানুহ। পূব্ জার্মানী বা ৰোমনিয়াতো একেই আদর্শব প্রয়োগ পূব জার্মানীব অর্থাৎ ডয়েৎসডেমোক্রেটিঃশ বিপাব্লিকত দুটা নতুন কথা দেখা পালো — বিট্টেৰফেল্ড পদ্ধতি আৰু ইন্ষ্টিটিউট্ ফব্ লিটাৰেচাব। ১৯৫৯ ছনত বিট্টেৰফেল্ড নামে ঠাইত বহা সম্মিলনব পিছত স্থিৰীকৃত পদ্ধতিক পূব জার্মানীব সমাজবাদী সাংস্কৃতিক নীতিব মূল-বিন্দু আখ্যা দিয়া হৈছে। এই নীতিত কলা-সাহিত্যক জন-জীৱনব অত্যাৱশ্যকীয় অংগ-ৰূপে স্বীকাব কবি লোৱা হৈছ আৰু সমাজব সকলো অবস্থাব লোকক তাব অংশীদাব বুলি স্বীকাবকৰা হৈছে। এই নীতিব ফলস্বৰূপে দেশত অনেক শ্রমজীৱী লেখক ওলাইছে, শ্রমজীৱীসকলব অনেক ক্লাব হৈছে, য'ত কলা আৰু সাহিত্যিব নিয়ত চর্চা হয়। দুখন বিট্টেৰফেল্ড সম্মিলনত এই শ্রমজীৱীসকলক আৰু বুদ্ধিজীৱীসকলক একেলগ হৈ সুখ-দুখব কথা আলোচনা কবিবলৈ দিয়া হৈছিল, যাব ফলত লেখকসকলব প্রকৃত অভিজ্ঞতা ওপজে আৰু সমালোচনামূলক দৃষ্টিভংগীও উন্নত হয়। লাইপজিগব যোহান্নেছ ৰেখেব ইন্ষ্টিটিউট ফিয়ব লিটাৰেটুৰত সাহিত্যিকসকলক তেওঁলোকব সাহিত্য-ৰচনাব কলা সম্পৰ্কে প্রশিক্ষণ দিয়া হয়। এই অনুষ্ঠানব আদর্শ হ'ল গর্কি ইনষ্টিটিউট্। এই অনুষ্ঠানব প্রশিক্ষণ লাভ কৰাসকলব মাজত আজিব জার্মানীব প্রথম শ্রেণীব লেখক আৰু ৰাষ্ট্রীয় পুৰস্কাব পাওঁতা লোকো আছে। আজিব লব্ধপ্রতিষ্ঠ ঔপন্যাসিকা আন্না ছেঘার্ছব 'ডাছ ছিত্রবেট্ ক্রয়েজ' (দ্য ছেভেন্থ্ ক্রছ), বেখেব্, বার্টোল্ট ব্রেখ্ট আদিব ফেছিষ্ট-বিৰোধী প্রখ্যাত লেখাবিলাক জার্মানীব বাহিৰত নির্বাসনত ৰচনা কৰা। এই ৰচনাবিলাক, সেই সময়ত জার্মানীব নিষিদ্ধ ছোভিয়েট সাহিত্য আৰু আন প্রগতিশীল সাহিত্যই ১৯৪৫ ৰ পিছত গণতান্ত্রিক পৰিবর্তনক বিপুলভাবে সহায় কৰে আৰু নতুন পুৰুষসকলে সমাজবাদী জার্মান সাহিত্যিব সৃষ্টিব হকে আগ বাঢ়ি আহে। এৰ্ব্বিন ষ্ট্রিটমেটাব, হার্মেন কাণ্ট, হেল্মুট্ ছাকভস্কি আদিয়ে আজি সাহিত্যত সমাজবাদী ঐতিহ্যব ৰচনা কৰিছে আৰু সাহিত্যিব যোগে জনগণব মাজলৈ সোমাই গৈছে। আন্না ছেঘার্ছে দেশব নতুন সমস্যাবে শেহব উপন্যাস 'ডাছ ভেটাভেন্' লেখাব আগতে কাৰখানায় কাৰখানায় ঘুৰি অভিজ্ঞতা সংগ্রহ কৰিছিল। হার্মেন কাণ্টব উপন্যাস 'ডাই আউলা'ত নতুন সামাজিক সম্পৰ্কব পাতনি মেলা হৈছে আৰু সাধাৰণ এজন শ্রমিক কেনেকৈ সমাজব সাৰাতো-উচ্চস্থানলৈ উন্নীত হৈছে, তাব বর্ণনা দিয়া হৈছে। কিতাপখনব বিক্রী খুব বেছি ধৰণে হ'ব লাগিছে। সিবিট্টেৰফেল্ড্ সম্মিলনব এটি ফল। বিভক্ত জার্মানীব বিভাজনব যন্ত্রণাব বর্ণনাই ঠাই পাইছে ভার্নাব হেউডুচেক্ আৰু ষ্ট্রিট্জ উল্ফব উপন্যাসত। এই কালছোৱাব 'এটি বিস্ময় হ'ল

ব্রুনো আপিট্‌জৰ এখন উপন্যাস (ইংৰাজী নাম 'নেকেড্ এমং উলভ্‌ছ); ১৯৭০ লৈকে ৩০ টা ভাষাত ইয়াৰ ত্রিশ লাখ কপি বিক্রী হৈ গৈছে। কন্সেণ্টেশন্ কেম্পত কি বীৰত্বেৰে ফেছিষ্ট-বিৰোধীসকলে সংগ্রাম কৰিবলগীয়া হৈছিল, তাৰে পুথিখন এটি ছবি। এটা ছুটকেছত ভৰাই এটা ল'ৰাক শত্রুৰ চকুত ধূলি দি কেম্পৰপৰা কেম্পলৈ ঘুৰাই লৈ ফুৰোৱা হৈছে। নতুন মুক্তিৰ বেলালৈকে ল'ৰাটো জীয়াই আছে আৰু কন্সেণ্ট্রেশান্ কেম্পৰ বিৰুদ্ধে বিজয়ী সংগ্রামৰ (যিহৰ বৰ্ণনাই ছোলজেনিট্‌ছিনৰ 'ফার্ষ্ট চার্কল'ৰ তেনে বিৱৰণৰ কথা সোঁৱৰায়) আৰু জীৱনৰ অবিচল শক্তিৰ প্রতীক হৈ পৰিছে। নতুন সমাজবাদী বাস্তৱবাদে জীৱনৰ অর্থ তেনে গভীৰতে উপলব্ধি কৰিবলৈ বিচাৰে।

পূৰ বার্লিনৰ বিখ্যাত বার্লিনাৰ আঁছাম্বলত সেই মঞ্চেৰে ১৯৪৯ চনৰ তাৰ জন্মৰেপৰা জড়িত বার্টোল্ট ব্রেখ্‌টৰ দুখন নাটক চাবলৈ পাইছিলো 'শ্বেইক ইম্‌স্বেইটেন্ ভেল্ট্‌ক্রিগ' আৰু 'ডাই-ড্রেইগ্রোশ্চেনপেৰ্' (শ্বেইক ইন্ ছেকেণ্ড বর্ড্ বাৰ্, দি থ্রি-পেনি অপেৰা)।ব্রেখ্‌টক বহুতেই শেক্সপিয়েৰৰ পিছতে আধুনিক যুগৰ শ্রেষ্ঠ নাট্যকাৰ আখ্যা দিছে। সমাজবাদী বাস্তৱবাদক মঞ্চ-ৰূপ দি তোলাতে তেওঁৰ কৃতিত্ব। ১৯২৮-২৯ শীতকালি তেওঁ মার্ক্সবাদ গ্রহণ কৰে। তাৰ আগৰ তেওঁৰ নাটক (বাল্, ইন দা স্বাম্প্, এমেন ইজ্ মেন) আছিল সামাজিকভাবে অমার্জ্জীয় আৰু নাটকীয় ৰূপত সম্পৰীক্ষামূলক তৃতীয় দশকৰ শেহৰ ফালে তেওঁ এপিক্ নাটকৰ ৰূপ প্রচাৰ কৰি চিৰাচৰিত এৰিস্টোটেলিয়ান নাটৰ ইল্যুশান্ বা অলীকতা বিনাশ কৰিবৰ যত্ন কৰে আৰু এলিয়েনেশান্ বা বিচ্ছিন্নতাৰ মতবাদ থিয় কৰি মঞ্চৰ চিৰাচৰিত ৰীতিৰ অনুগত নাটকীয় চৰিত্র আৰু দর্শকৰ মাজৰ একাত্মবোধ গুচাই চৰিত্র আৰু কার্যৰ প্রতি নির্মোহ সমালোচক দৃষ্টিভংগী সৃষ্টি কৰিবৰ প্রয়াস কৰে। তেওঁ এলিয়েনেশান্ এফক্টৰ ভিতৰত গীত, স্লোগান, অভিনেয় কার্য আৰু ভাৱৰ লগত সম্বন্ধ নথকা দৃশ্যপট আদি ব্যৱহাৰ কৰি দর্শকক বাৰে বাৰে সোঁৱৰাই দিবলৈ বিচাৰে যে দর্শকে দ্রষ্টাৰূপে অভিনয়ত আত্মবিলীন নকৰি তাৰ বাহিৰৰপৰা চাই সমালোচনা কৰক। ব্রেখ্‌টৰ উদ্দেশ্য এইদৰে মানুহক জোকাই লৈ সামাজিক অন্যায়ৰ বিৰুদ্ধে বিদ্রোহী কৰি তুলিব। তেওঁ নাট আৰু মঞ্চক ৰাজনৈতিক বিক্ষোভৰ বাহন কৰিবলৈ বিচাৰিছিল; ১৯৫৩ চনত লেখা এটি প্রবন্ধত কৈছিল, 'আমাৰ মঞ্চই বাস্তৱক চিনি পোৱাৰ আনন্দ দর্শকক দিব লাগিব আৰু বাস্তৱক পৰিবর্তন কৰাৰ আনন্দও নির্মাণ কৰিব লাগিব। আমাৰ দর্শকে প্রমেথিয়াছৰ মুক্তিৰ কথা শুনিলেই নহ'ব, তেওঁলোকে প্রমেথিয়াছক মুক্তি দিয়াৰ আনন্দও যাতে পায়, তাকো আমি শিকাব লাগিব।' ১৯৫৬ চনত মৃত্যু হোৱা পর্যন্ত ব্রেখ্‌টে এই প্রচেষ্টা এৰা নাছিল। অবশ্যে অধ্যাপক ব্রিজৰাটাৰে আঙুলিয়াই দিয়া দৰে, যদিও ব্রেখ্‌টৰ নাটকত এপিক্ থিয়েটাৰৰ উপাদান আছে, তেওঁৰ কাব্যিক উচ্ছ্বাসে তেওঁক উপদেশ আৰু মতবাদৰ সীমা চেৰাই লৈ গৈছিল; গতিকে তেওঁ যদি শিলাৰ-গ্যাটৰ পেৰডি কৰি পুঁজিবাদক আক্রমণ কৰিব খুজিছিল, (ছেইণ্ট জোৱান্ অব্ দ্য ষ্টক্‌য়ার্ডছ) বা নাজিবাদৰ বিৰুদ্ধে দর্শকক উচটাব খুজিছিল (দ্র প্রাইভট লাইফ্ অব মাষ্টাৰ বেচ), তাতে তেওঁৰ নাটক বৈ নগৈছিল। জুৰিখত যেতিয়া পোন প্রথমবাৰলৈ তেওঁৰ উচ্চাংগৰ নাট 'মাদাৰ কাৰেজ' অভিনীত হয় (১৯৪১) তেতিয়া নায়িকাৰ চৰিত্রটিয়ে দর্শকৰ মাজত অভূতপূর্ব সহানুভূতি লাভ কৰা দেখি তেওঁ বিস্ময় মানিছিল, কাৰণ সেইটো তেওঁৰ অভীপ্সিত নাছিল আৰু চৰিত্রটোৰ যোগে যুদ্ধকালীন সাহসিকতা আৰু নানা আদর্শয়ে দুর্নীতি-গ্রস্ত শ্রেণী-সমাজৰ মিছা প্রমূল্য, তাকে দেখুৱাবৰ ইচ্ছাহে তেওঁৰ আছিল। নাটকখনে কিন্তু সময় আৰু শ্রেণীৰ সীমাই বান্ধিব নোৱৰা মানৱৰ বীৰত্ব প্রতিফলিত কৰিছে। সেইদৰে 'দ্য লাইফ অব্ গেলিলও'ত প্রাইভেট উদ্যোগ আৰু টেটোলিটেৰিয়ান নিৰাপত্তাৰ দ্বন্দ্বতকৈ মানুহৰ দুর্বলতা আৰু সৎ হোৱাৰমাজৰ দ্বন্দ্ব, তেওঁৰ আন দুখন মহৎ নাটক 'দ্য ককেচিয়ান্ চক্ চার্কল' আৰু দ্য গুড্ ৱমেন অব্ ছেজুৱান'ত তেওঁৰ ঈপ্সিত সামাজিক ব্যংগতকৈ এজনী ছোৱালীৰ সন্তানৰ প্রতি প্রীতি আৰু এজনী বেশ্যাৰ নিঃস্বার্থ সৎচৰিত্রহে আচল শক্তিশালী নাটকীয় আৰু কাব্যিক গুণ হৈ পৰিছে। মুঠতে ব্রেখ্‌টৰ মতবাদ আজি কহুতর্কিত বিষয়। তেওঁ নিজেই নিজৰ মতবাদৰ দুই-এটা পৰিবর্তন কৰিছিল।

সমাজবাদে ব্রেখ্‌টৰ কলা-জীৱনত যি পৰিবর্তন আনিলে, সি নহা হ'লে তেওঁ যি হ'লেহেঁতেন, তাৰ নিদর্শন আজিৰ মঞ্চকজগতৰ এদল শক্তিশালী লেখকে দিছে। পৃথিবী জোৰা দুখন মহাসমৰে বিধ্বস্ত কৰা, মর্মন্তুদ দুখৰ মাজত জীৱনক অর্থ দিয়া ঈশ্বৰ আৰু ধর্মই এৰা দিয়া মানৱ আজি যিখন জগতৰ মুখা-মুখি হৈছে, সেইখন ভগা-ছিগা, অসংলগ্ন জগত, উদ্দেশ-বিহীন জগত। সি সংগতিবিহীন, এবছার্ড। এই এবছার্ড বা অসংগতাবাদৰ নিজস্ব নাটকৰ জন্ম এটা ঐতিহাসিক প্রক্রিয়াৰ দৰেই।

এব্‌ছার্ডৰ নাটকৰ বিষয়ত ফৰাচী ভাষাত সাহিত্য ৰচনা কৰা ছেমুৱেল বেকেট্‌, কহ পুৰুষৰপৰা জন্ম লোৱা ফৰাচী আৰ্থাৰ আদামোভ, ৰোমানিয়ান ৰক্তৰপৰা জাত ফৰাচী ইউজেন ইওনেস্কো, আন আন ফৰাচী নাট্যকাৰ জাঁ জেনেট্‌, ফার্নেণ্ডো আৰবাল, বৰিছ ভিয়াঁ, টার্ডিউ, জার্মান গুণ্টাৰ গ্রাছ আৰু ৰলফ্‌গাং হিণ্ডাৰেথেইমেন, ইতালিয়ান দিনো বুজ্জাত্তি , স্বুইচ্‌শ মেক্স ফ্রিচ্‌শ্‌ আদিৰ আভাংগাৰ, সম্পৰীক্ষামূলক ৰচনা বিদ্যমান। আভাংগাৰ নাটকৰ দুটা মূলসূত্রঃ মানৱৰ মূলগত বিয়োজন বা নির্জনতাৰ সৃষ্টি (ফাণ্ডামেণ্টাল আইচোলেশান্‌ অব্‌ মেন) আৰু প্রকাশৰ ভাষাৰ স্খলন (ব্রেকডাউন)। এব্‌ছার্ডৰ নাটক এটা আন্দোলন নহয় আৰু এব্‌ছার্ডৰ নাট্যকাৰসকলো ফুটবল খেলা টিমৰ দৰে এটা দল নহয়। মাথোন কিছুমান একেধৰণৰ সংগতি বা বিসংগতিয়ে তেওঁলোকৰ কথা একেলগে ক'বলগীয়া কৰে। দেখাত কিম্ভূতকিমাকাৰ, চেলবেলীয়া আৰু মান-মর্যাদাৰ ভু নোলোৱা যেন হ'লেও এই নাটকেও ভগা-ছিগা টুকুৰাৰ জগতখনৰ সমুখত মানুহৰ মৌলিক সমস্যা দর্শকৰ আগলৈ আনে। অৱশ্যে এব্‌ছার্ডৰ নাটকে কোনো সর্ববাদী-সম্মত দর্শনৰ পটভূমিত মানুহৰ জীৱনৰ ছবি নাআঁকে। এখন নাটক এটা মানৱীয় পৰিস্থিতিত এজন কবিৰ আপোন আৰু নিভৃত অনুভৱবোধ, জগতখনৰ তেওঁৰ নিজস্ব ছবিখন প্রকাশ কৰে। আজি বাস্তৱবাদী নাটৰ কৌশল এবছার্ডৰ থিয়েটাৰৰ নাটৰ ক্ষেত্রত অচল। সংলাপ, চৰিত্র আদিও চিৰাচৰিত প্রথাত আগ নাবাঢ়ে। এটা কাহিনী কোৱাও তাৰ উদ্দেশ্য নহয়, ৰৰং এসোপামান কাব্যক চিত্র একেলগে জুঁটি এটা জটিল পৰিস্থিতি তুলি ধৰাই এই নাটকে কাম বুলি ভাৱে।

এই ধাৰাৰ প্রধান নাট্যকাৰসকলৰ উদ্‌গম হৈছিল চল্লিছৰ আৰু আদি পঞ্চাছৰ দশকত আৰু তেওঁলোক প্রতিষ্ঠিত হৈছিল পঞ্চাছ আৰু আদি ষাঠিৰ দশকত। তেওঁলোকৰ শক্তিশালী উত্তৰাধিকাৰী ওলাই অহা নাই, যদিচ ব্রেখ্‌টিয়ান নাটকৰ দৰে এব্‌ছার্ডৰ থিয়েটাৰৰ কোনো কৌশলো হয়তো জন অছৰ্ন্নৰ লেকীয়া সাম্প্রতিক নাট্যকাৰে ব্যৱহাৰ কৰিছে। এইবোৰ প্রচেষ্টা অসার্থক বুলিও ভাবিবৰ কাৰণ হোৱা নাই, কাৰণ এটা যুগৰ চিন্তাধাৰাৰ প্রতিফলন-ৰূপেই এই নাটকৰ প্রাণ-বস্তু আৰু কলা-কৌশল নিৰূপিত হৈছিল।

যোৱা ২৮ ছেপ্টেম্বৰ তাৰিখে বর্তমান যুগৰ এজন প্রধান ইংৰাজী কবি ডব্লিউ, এইচ, অডেনৰ মৃত্যু হয় ভিয়েনাৰ এটা হোটেলত। তেওঁ তেওঁৰ ডেকাকালত অক্সফোর্ড দলৰ কবিৰ মাজত নেতৃত্বৰ স্থান অধিকাৰ কৰিছিল আৰু পিছলৈকো তেওঁ সেই থান-মান নেহেৰুৱাইছিল। ফ্রয়েড্‌ আৰু মার্ক্সৰ দ্বাৰা প্রভাৱিত হৈ তেওঁ জটিল ব্যক্তিমানস আৰু দুখন মহাসমৰৰ মাজত ছিন্নভিন্ন সমাজ-জীৱনৰ ওপৰত গভীৰ দৃষ্টিপাত কৰিছিল। ভগ্নপ্রায় সভ্যতাৰ পৰিহাস আৰু ব্যক্তিজীৱনত তাৰ কুটিল প্রতিক্রিয়া তেওঁৰ শাৰীবোৰৰ মাজেদি বিৰিঙি উঠিছিল। তাত বিশেষ লুক-ঢাক নাছিল আৰু তাতেই তেওঁৰ কবিৰূপে মহত্ব প্রকাশ পাইছিল।

এলিয়ট-অডেনৰ পিছত জগতত মহৎ কবিৰ যেন দিন পৰি আহিল। সাহিত্যৰ নোবেল প্রাইজ পোৱাসকলৰ তালিকাকো সেই কথাৰ সাক্ষী বুলি ধৰিব পাৰিনেকি। লেটিন এমেৰিকাই যি হওক এজন তেনে মহৎ কবি আৰু মানৱবাদী উলিয়াইছল, যাক স্বুইডিঃশ একাডেমিয়ে ১৯৭১ ছনত সেই প্রাইজ প্রদান কৰিছিল। সিজন হ'ল চিলিৰ পাবলো নেৰুদা। তেতিয়া তেওঁ পেৰিছত চিলিৰ ৰাষ্ট্রদূত। অৱশ্যে সেইটো কবিজনৰ সাহিত্য লেখা নামহে. আচল নাম ৰিকার্ডো নেফ্‌টাটে ৰেয়েচ বাছোৱাল্টো। উনসত্তৰ বছৰীয়া কবিজনৰ মৃত্যুৰ তিনিদিন আগতে মাথোন এখন মেক্সিকোৰ দৈনিক কাগজত ওলাইছিল যে বিছনাৰপৰা উঠিব নোৱাৰা অৱস্থাত স্পেনিঃশ ভাষাৰ শ্রেষ্ঠ আধুনিক কবিজনক ঘৰৰ ভিতৰতে গ্রেপ্তাৰ কৰি ৰখা হৈছে। তিনিদিনৰপিছতে কবিৰ জীৱনৰ অন্ত। তেওঁৰ কবিতাৰ মহত্ত্ব এইখিনিতে যে সি 'প্রকৃতিৰ এক অমোঘ শক্তিৰ ক্রিয়াৰ নিচিনাকৈ সমস্ত এক মহাদেশৰ ভাগ্য আৰু স্বপ্নক জীৱন্ত কৰি তুলিছিল। তেওঁৰ সমস্ত ৰচনা 'তেওঁৰ ভয়ংকৰ আৰু ক্ষয়শীল জগতত অনুভৱ কৰা বিচ্ছিন্নতাৰ ক্ষোভ'ৰ প্রকাশ মাথোন। ৰোমান্টিচিজ্‌ম, ফৰাচী প্রতীকবাদ আৰু কিছু কিছু ছুৰিয়েলিস্ট লক্ষণৰ সংমিশ্রণৰ ফলস্বৰূপে নেৰুদাই এক অনন্যসাধাৰণ নিজস্ব শৈলী সৃষ্টি কৰিছিল। স্পেইনৰ গৃহ-যুদ্ধৰ সময়ত তেওঁ ৰিপাব্লিকান গৰর্ণমেণ্টৰ পক্ষ লোৱাৰপৰাই তেওঁৰ ৰাজনৈতিক জীৱন আৰম্ভ হয়। তাৰ পিছত তেওঁৰ চিলিলৈ ঘুৰি আহি কমিউনিস্ট পার্টিত যোগ দিয়ে আৰু চৰকাৰ খেদাত ইউৰোপলৈ পলায়। তাৰপৰা ১৯৫২ ত আকৌ দেশলৈ অহাৰ আগতে ছোভিয়েটৰ ষ্টেলিন সাহিত্য বঁটা আৰু লেনিন শান্তি বঁটা লাভ কৰে । তেওঁৰ সৰাতো বিখ্যাত সাহিত্য কর্ম 'কাণ্টো জেনেৰেল' সমগ্র দক্ষিণ এমেৰিকাৰ জীৱনৰ

মহাকাব্য। তেওঁৰ সমাজ-দায়-বদ্ধ কমউনিস্ট আৰু তেওঁৰ যুগৰ মহত্তম বিপ্লবী আদৰ্শবিদ্বাৰা অনুপ্ৰাণিত চিন্তানায়ক হ'লেও তেওঁৰ কবিতা মাৰ্ক্সিস্ট সূত্ৰৰ পদ্য নহয়। ৱাল্ট্ হুইটমেন আৰু মায়াকভস্কিয়ে তেওঁক এসময়ত জনগণৰ বাণীৰে অনুপ্ৰেৰণা যোগাই বোদলেয়াৰ আৰু ৰেঁবোৰ প্ৰতীকবাদৰপৰা আঁতৰাই আনিছিল। তেওঁৰ কবিতাই পাঠকৰ মনত নতুন এখন জগতৰ আশা উদ্দীপ্ত কৰি তোলে।

বৰ্তমান যুগৰ স্পেনিশ ভাষাৰ আন এজন মহৎ কবি ফেডেৰিকো গাৰ্চিয়া লৰ্কাক ১৯৩৬ চনত স্পেইনৰ আত্মকন্দলৰ মাজত জাতীয়তাবাদী দলৰ লোকে গুলীয়াই হত্যা কৰে। তেওঁৰ কবিতাত আধুনিক সভ্যতাৰ জীৱন্ত মৃত্যুৰ ছবি ফুটি উঠিছে আৰু তেওঁৰ ভাষাত পুৰণি, নতুন আৰু ব্যক্তিগত সুৰৰ সংমিশ্ৰণত অভিনৱ এক কাব্য-শৈলী জন্ম লৈ তেওঁক মহত্ব প্ৰদান কৰিছে। জাৰ্মান ভাষাত অপূৰ্ব গভীৰতাৰ লিৰিক লেখা ৰেইনেৰ মাৰিয়া ৰিল্কে (১৮৭৫-১৯২৬) লেবাননৰ কবি খলিল জিব্ৰা (১৮৮৩-১৯৩১) আদিৰ কবিতায়ো আজি দেশৰ সীমা ডেই জগতৰ হৃদয় স্পৰ্শ কৰিছে। দুবছৰ পূৰ্বে আধুনিক হাংগেৰিয়ান কবি গাবোৰ গাবাইৰ কিছু কবিতা অসমীয়ালে অনুবাদ কৰি প্ৰকাশ কৰিবৰ কাৰণে হাংগেৰিয়ান ইনষ্টিটিউট ফৰ্ কালচাৰেলৰিলেশান্ছে মোলে পঠিয়াইছিল। এই কবিতাখিনি গাবায়ে ভাৰতবৰ্ষ ভ্ৰমণ কৰাৰ পিছত লেখা। কবিতাকেইটিত লিৰিকি সৌন্দৰ্য আছে; কিন্তু বাস্তৱবাদী দৃষ্টিৰ কবিৰ ভাৰতবৰ্ষ যেন এতিয়াও জন্ম লৈ উঠা নাই। মহানগৰীৰ পথৰ শুকান মানুহৰ চকুত তেওঁ সেইভবিষ্যতৰ স্বপ্ন দেখা পাইছে। ইমান পৰ জগতৰ সাহত্যৰ প্ৰধান ধাৰাৰ যিটো আৰাস আঁকিবৰ যত্ন কৰিছিলো, সি কোনোপ্ৰকাৰে সেই সাহিত্যৰ ইতিহাসৰ ৰূপৰেখাৰ চেষ্টা নহ'লেও, তাৰপৰা দেখা যাব যে সমাজবাদী চেতনা মানৱৰ চিন্তাত আগঠাই অধিকাৰ কৰিবৰ কাৰণে উন্মুখ। পৃথিবীৰ ৰাজনৈতিক প্ৰগতিও সেই ফালেই যেন আগবাঢ়িব লাগিছে। ভাৰতবৰ্ষয়ো ৰাষ্ট্ৰীয় ক্ষেত্ৰত ছোচিয়েলিষ্ট পেটৰ্ন, সমাজবাদী আদৰ্শ চকুৰ আগত ৰাখিবৰ কাৰণে যত্ন কৰিছে। ইয়াৰ মাজত হুয়াঙ্গো দেশে নিজৰ ৰূপ নিজে বিচাৰি ল'ব; কিন্তু আমি দেশক যি ৰূপত পাবলৈ বিচাৰোঁ, তাৰ কাৰণে আমি কাম কৰি যাব লাগিব; সাহিত্যতো সেইবোৰ আদৰ্শ প্ৰতিফলিত হ'ব লাগিব আৰু সাহিত্যই সেই আদৰ্শক দেশবাসীৰ সমক্ষে উজ্জ্বল কৰি তুলিব লাগিব। প্ৰগতিশীল দেশবোৰৰ চিন্তা-নায়ক আৰু সাহিত্যকাৰসকলৰ চিন্তা আৰু কৰ্ম সেই বাবেই আমাৰ চকুৰপৰা হেৰাব নালাগিব।

অসমীয়াক এটা দ্বীপ কবি নাৰাখিব : মানৱ এক, সাহিত্যও এক :

কাৰণ, সাহিত্যৰ জগতত জগতৰপৰা বিচ্ছিন্ন হৈ অসমীয়া এটা দ্বীপ হৈ থাকিব নোৱাৰে। এফালে, তেনে হ'লেও সি হ'ব অস্বাভাবিক। আনপালে আজিৰ দ্ৰুত পৰিবহন আৰু বিশ্ব-ৰাজনীতিৰ পৰিক্ৰমাত পৃথিবীখন লাহে লাহে এটা সৰু চুবুৰীত পৰিণত হৈছেহি। আজি কোপেনহেগেনলৈ বা কালিফৰ্ণিয়ালৈ যাবলগীয়া হ'লেও আগৰ দিনত বংপুৰৰপৰা জাঁজীলৈ যাব লগীয়া হ'লেই লগা দৰে মৰলীয়া হাঁহ মাৰি ভাত খাই যাব নালাগে। আজিৰ সমাজ মুকলি-হাকলি হৈ পৰিছে। আখলৰপৰা বিয়াৰ লগুণ-গাঁঠি-লৈকে আলাদ্ধুকলীয়া বন্ধন আমাৰ ভৰিৰপৰা খহি খহি পৰিছে। সাহিত্যৰ ক্ষেত্ৰতো বহল জগত আৰু বহল সমাজৰ এই আহ্বান ধ্বনিত হ'ব লাগিব। তেতিয়া হ'লেহে সি আজিৰ সাহিত্য হ'ব। মধ্যযুগীয়া মানসিকতাৰে বিংশ শতিকাৰ এই বিয়লিত নতুন বাণীৰ জন্ম দিব নোৱাৰি। আনফালে সৃষ্টিশীল কলাকাৰৰ মনো দেশৰ সীমাৰ মাজতে আবদ্ধ হৈ থাকিব নালাগিব। ইয়াৰ অৰ্থ এইটো নহয় যে দেশৰ ঐতিহ্যক হুদু খেদোৱাদি খেদাই আমাৰ ঘৰৰ বেৰ-খোৱা ভাঙি ধোৱাংবোং কৰিব লাগিব। ৰবং ইতিহাসৰ শিকনি আৰু সাংস্কৃতিক ঐতিহ্যৰ আধুনিক ব্যৱহাৰ আমাৰ ভবিষ্যত অগ্ৰগতিৰ স্বাস্থ্যপ্ৰদ সম্বল হ'ব পাৰে। এই কথাৰ ইংগিত মোৰ আজিৰ ব্যক্তব্যত বোধহয় অস্পষ্ট নহয়। সামগ্ৰিক মানৱসত্তাৰ প্ৰকাশ-স্বৰূপে ধ্ৰুপদী সংস্কৃতিৰ সমাদৰ আৰু উৎকৰ্ষ, দুইটাই হ'ব লাগে। নহ'লে ঐতিহাসিক সত্তা-ৰূপ আমাৰ সাংস্কৃতিক আইডেণ্টিটি বা পৰিচয় হেৰোৱাবোৱা ভয় নাথাকিব জানো? কিন্তু সেই পৰিচয় বন্ধন হ'ব নালাগিব। সেই দেখিহে কওঁ, আজি সমগ্ৰ জগতৰ সাহিত্যৰ বিস্তৃত আৰু গভীৰ অধ্যয়নেহে আমাৰ নিজকে আৱিষ্কাৰ কৰাৰ পথ মুকলি কৰি দিব পাৰে। আমাৰ সাহিত্যৰ ঘৰটো মুকলি দুৱাৰ-খিড়িকিৰে গান্ধীজীৰ বাঞ্ছিত ঘৰটোৰেই হ'বলগীয়া হয়। তাতে 'জগতৰ আবাহন কামত পৰিব আহিব।'

সাহিত্যৰ মূল প্ৰেৰ্ট হ'ল জীৱন, মানৱ, দেশ-কালৰ বন্ধন নোহোৱা মানুহ। সেই বিশ্বজনীতমুক্ত মানৱ একেটি তত্ত্ব। তাৰ নানা বিকাশ, নানা দেশত, নানা কালত হৈছে। সেই তত্ত্বৰ উপলব্ধিয়েই হ'ল সকলো কলা আৰু কলাতত্ত্বৰ লক্ষ্য।

কলাকাৰ-সাহিত্যিকসকলে সেই মুক্ত মানৱৰ জীৱনত বিচৰণ কৰিবলৈ পালেহে কলা-সাহিত্যই আদৰ্শ ৰূপ পৰিগ্ৰহ কৰব পাৰে। সেই কাৰণে ভাবোঁ, সাহিত্যৰ কোনো জাত নাই। যদি আছে, তাৰ নাম মানৱ। অসমীয়া সাহিত্য, ওড়িয়া সাহিত্য, ইংৰাজী সাহিত্য, ফৰাচী সাহিত্য- এইবোৰ নামে বাহিৰৰ ৰূপ মাথোন নিৰ্দেশ কৰে। সকলোবে কিন্তু প্ৰাণ-বস্তুটি একেই। সাহিত্যত অৱশ্যে স্থানীয় ঠাঁচ বা এফেক্ট, আঞ্চলিক জীৱনৰ প্ৰকাশ, ব্যক্তিৰ নিভৃত ভাব-অনুভূতিৰ প্ৰকাশ আছে; কিন্তু সেইবোৰেও সিহঁতৰ নিজৰ গাঢ় ৰঙত বিশ্বজনীনতাৰে পোষণ কৰে। অসমীয়া জীৱনৰ ৰূপ, অসমীয়া জীৱনৰ সমস্যা, অসমীয়াৰ সুখ-দুখৰ কথা আমাৰ সাহিত্যত প্ৰতিফলিত হ'ব লাগিব। তাৰ বাবেও অধ্যয়ন, পৰ্যবেক্ষণ আৰু চিন্তাৰ আৱশ্যক। কাৰণ, জীৱন আপাত দৃষ্টিত ধৰা দিয়া পদাৰ্থ নহয়। জীৱনক তাৰ সামগ্ৰিকতাত উপলব্ধি কৰিলেহে তাৰ প্ৰকৃত মূল্যবোধ উপজিব পাৰে। যোৱা ডেৰশ বছৰৰ অসমীয়া ইতিহাসলৈ ঘুৰি চালে এটা দুখ লগা কথা আমাৰ চকুত পৰে যে ভাষাৰ অস্তিত্ব লৈ মিছা খৰিয়ালত অসমীয়া আবদ্ধ হৈ থাকিবলগীয়া হৈছে আৰু সিও নিজৰ দোষত নহয়। সি বহুত শক্তি মিছাতে অপচয় কৰাইছে আৰু মহৎ সাহিত্যৰ সাধনাৰপৰা অসমীয়াক আঁতৰাই ৰাখিছে। বহুতেই সেই অস্তিত্বৰ 'আন্দোলন'কে সত্য কৰি দেখি থাকিবলগীয়াত পৰা যেন অনুভৱ কৰি থাকে আৰু তাৰ উদ্ধলৈ গৈ শুদ্ধ সাহিত্য-নিৰ্মাণৰ আহ্বানৰ কথা মনলৈ নানে। তাৰ ফল-স্বৰূপে সাহিত্য-সাধনাৰ বায়ুমণ্ডল আমাৰ মাজত গঢ় লৈ নুঠে। গতিকে নিতান্ত অস্তিত্বৰ কথা নাপাহৰিও জগতৰ সাহিত্যলৈ দৃষ্টি ৰাখি মহৎ সাধনাৰ পথ আমি বাছি-বিচাৰি উলিয়াব লাগিব আৰু তাৰ দ্বাৰায় আমাৰ অস্তিত্বৰ কথা ফেনেকা আনৰ প্ৰশ্নময় মুখ বন্ধ কৰিব পাৰিম। এজন ৰবীন্দ্ৰনাথ,এজন ছিলান্‌পা, এজন পাবলো নেৰুদাই যি সৰু জনসমষ্টি বা যি সৰু দেশক সম্মানিত কৰে সেই সমষ্টি বা দেশৰ অস্তিত্বৰ প্ৰশ্ন উঠে জানো? গতিকে ভাবোঁ, মাথোন অসমীয়া অসমীয়া ভাৱ, অসমীয়া অসমীয়া লেকাৰ উদ্ধলৈ উঠি আমাৰ চিন্তাক আৰু অনুভূতিক বিশ্বমুখী কৰিব পৰাতেহে আমাৰ মুক্তি, যদিচ আমাৰ এই চিৰসেউজীয়া মাটি-টুকুৰা আৰু সোণ-চেকুৰাৰে গঢ়া মাতআষাৰৰপৰা বৰ্ডছ্বৰ্থৰ স্কাইলাৰ্কৰ 'কিপ্ৰেড্ পইণ্ট্ অব্ হোম'ৰ দৰে আমি আঁতৰি নাযাওঁ। ৰবীন্দ্ৰনাথে বংগজননীক কোৱাৰ দৰে আমিও আমাৰ আইক এআষাৰ কথা ক'বলগীয়া হৈছে। গুৰুদেৱে গাইছিল, 'হে স্নেহার্ত বংগভূমি, তব গৃহক্রোড়ে/চিরশিশু করে আর রাখিয়ো না ধরে/দেশ-দেশান্তর মাঝে যার যেথা স্থান/খুঁজিয়া লইতে দাও করিয়া সন্ধান।' সেই আহ্বান আজি সত্য হৈছে; 'বাঙালী করে রখা'সকল 'মানুষ' হৈছে। আজিও কিন্তু অসমীয়াই 'দেশ-দেশান্তৰ'ৰ কথাই নাই, নিজ 'গৃহক্রোড়'তো 'যাৰ যেথা স্থান' অনুসন্ধান কৰি ল'ব পৰা নাই, জনা নাই। তেনে হ'লে ক'ৰপৰানো মহৎ সাহিত্য এটাৰ জন্ম সম্ভৱ হ'ব পাৰে? অসম-অসমীয়াক উপলব্ধি কৰিবলৈ হ'লেও, অসম-অসমীয়াক সমৃদ্ধ কৰিবলৈ হ'লেও বিশ্বক উপলব্ধি কৰিব লাগিব, বিশ্বৰ লগত নিজৰ একাত্মবোধ লাগিব, কাৰণ মানৱ মাত্ৰেই বিশ্বৰপৰা বিচ্ছিন্ন এক পদাৰ্থ হ'ব নোৱাৰে। কিপ্ লিঙৰ 'হোৱাট্ ডু দে অব্ ইংলেণ্ড নো হু অন্‌লি ইংলেণ্ড্ নো' কথাষাৰ খেয়ালতে কোৱা কথা নহয়। ইংলিঃশমেনে ইংলেণ্ডৰ বাহিৰত ইংলেণ্ডক পাইছিল কাৰণেই ইংলেণ্ডৰ ভিতৰত ইংলেণ্ডৰ ছবি পাইছিল। আপোনালোকে যি সকলে নিজকে অসমীয়া বুলিবলৈ অত্যন্ত ভাল পায়, সেইসকলেই কওক চোন, মৰমৰ অসমখন ক'ত? সেই আপোনাৰ, মৰমৰ, সুজলা-সুফলা, সুৱলা অসমৰ সন্ধানেই আমাৰ জীৱনৰ সাধনা হ'ব পাৰে আৰু হোৱা নিতান্ত উচিত।

কিন্তু কথাৰে নহয়, কথাৰে নহয়। কামেৰে। 'এনেখন সুজলা, এনেখন সুফলা' বুলি আমি গাই থাকিলে আমাৰ সুজলে ৰানপানীৰ সংহাৰৰ প্লাৱন আনিব, সুফল লোকে কৰিব, লোকে খাব। লোকে 'বাটি ভৰাই খাবলৈ' 'কৈলে কুটিছা চুমৈকৈ পচলা?' আৰ্থিকভাৱে সমৃদ্ধ এখন দেশ, এটা জাতি নহ'লে তাৰ মাজত সংহতিও নৰয়, সাহিত্য আৰু কলা-শ্ৰীওকোনোপ্ৰকাৰে সমৃদ্ধ হ'ব নোৱাৰে। সাহিত্যকাৰ-কলাকাৰসকল দেশৰ তথা জগতৰ শান্তি আৰু অগ্ৰগতিৰ অগ্ৰদূত হ'ব লাগিব। তেতিয়া হ'লেহে শান্তি আৰু অগ্ৰগতি আহিব। স্বাধীনতাৰ চতুৰ্থাংশ শতিকাৰ পিছতো আমাৰ জ্ঞান আৰু প্ৰগতি লোকৰ গালৈ বোকা ছটিওৱাতে উপান্ত হৈছে। দেশৰ গঢ়ন কেতিয়া হ'ব? গতিকে, আশা কৰিছো, দেশৰ অৰ্থনৈতিক সমৃদ্ধি, সামাজিক সাম্য আৰু সংহতি দৃষ্টিৰ আগত ৰাখি সাহিত্যকাৰসকলে সাহিত্য ৰচনা কৰিব আৰু দেশৰ অগ্ৰগতিৰ বাহকৰূপে সমাজৰ প্ৰতি নিজৰ কৰ্তব্য পালন কৰিব।

-- ❋ --

দ্বিচত্বাৰিশ সম্মিলন

তিতাবৰ, ১৯৭৫ খ্ৰীঃ

ড° সত্যেন্দ্রনাথ শর্মা

বেদান্তেষু যমাহুরেকপুরুষং ব্যাপ্য স্থিতং রোদসী
যস্মিন্নীশ্বর ইত্যনন্যবিষয়ঃ শব্দো যথার্থাক্ষরঃ।
অন্তর্যশ্চ মুমুক্ষুভির্নিয়মিত প্রাণাদির্ভিমৃগ্যতে
স্থ স্থান ঃ স্থিরভক্তিযোগসুলভ্যে নিঃশ্রেয়সায়াস্তুবঃ ।।

অভ্যর্থনা সমিতিৰ সভাপতি ডাঙৰীয়া আৰু ভাষা জননীৰ সেৱক সমবেত সুধিবৃন্দ, সাহিত্য সভাৰ দ্বিচত্বাৰিংশ অধিবেশনৰ সভাপতিৰ গধূৰ দায়িত্ব আপোনাসবে এই অভাজনৰ ওপৰত অর্পণ কৰি যি স্নেহ আৰু ঔদার্য প্রদর্শন কৰিলে তাৰ কাৰণে মই আপোনাসবৰ ওচৰত নতশিৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্রকৃতার্থত মই সাহিত্যিক নহওঁ, কাৰণ সৃষ্টিক্ষম প্রতিভাৰ স্বাক্ষৰ মোৰ বচনাত কিমানদূৰ আছে সি সন্দেহৰ বিষয়। মই সেইসকলকহে প্রকৃত সাহিত্যিক বুলি ক'ব খোজোঁ, যিসকলে অপূর্ব-বস্তু-নির্মাণক্ষমা প্রজ্ঞাৰদ্বাৰা আনন্দঘন চিন্ময় সত্তাৰ বৈচিত্র্যময় অভিব্যক্তিৰ লগত পাঠকক পৰিচয় কৰায় দিয়ে। মই মাত্র অসমীয়া সাহিত্যিৰ এজন একনিষ্ঠ পাঠক। এজন একনিষ্ঠ পাঠক হিচাপে মোৰ অন্তৰ-দাপোণত অসমীয়া সাহিত্যৰ বিভিন্ন দিশে, বিভিন্ন শাখা-উপশাখাই যেনে ধৰণে প্রতিফলন পেলাইছে, যি প্রতিক্রিয়াৰ সৃষ্টি কৰি আহিছে তাকেহে মোৰ গ্রন্থবাজিত প্রকাশ কৰিবলৈ চেষ্টা কৰি আহিছোঁ। সেই দৃষ্টিকোণৰপৰা চালে মই অসমীয়া সাহিত্যৰ এজন সচেতন পাঠক মাত্র। বর্তমান অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্রত যিবোৰ সমস্যাই দেখা দিছে, সেইবোৰৰ সমাধানকল্পে কেনে ধৰণৰ ব্যবস্থা ল'ব পাৰি আৰু অসমীয়া ভাষা-সাহিত্যৰ প্রগতি আৰু প্রসাৰৰ উদ্দেশ্য কেনে পন্থা সাহিত্য সভা তথা অসমীয়া সাহিত্যপ্রেমী বাইজে গ্রহণ কৰিব পাৰে তাকেহে এজন সচেতন পাঠক আৰু সাহিত্যসেৱকৰূপে আপোনালোকৰ আগত দাঙি ধৰিবলৈ প্রয়াস কৰিছোঁ।

জয় জয়তে সাহিত্য সভৰ অধিবেশনত হোৱা খৰচ আৰু মেলামুখী বৈশিষ্ট্য সম্পর্কে বিভিন্ন দিশত কৰা বিৰূপ মন্তব্য সম্পর্কে একেষাৰ কোৱাৰ প্রয়োজন বোধ কৰিলোঁ। অসম সাহিত্য সভা অসমীয়া জাতীয়তাৰ প্রতীক। অসম আৰু অসমীয়াপ্রেমী মাত্রেই এই সভাৰ বার্ষিক সভাৰ বার্ষিক অধিবেশন উপলক্ষে লগ লগাৰ সুবিধা পায়, ইজনে সিজনক ওচৰৰপৰা জানিবৰ সৌভাগ্য ঘটে আৰু ভাষা-সাহিত্যৰ কিছু বুজ ল'বলৈকো অবসৰ পায়। সর্বসাধাৰণ বাইজে ভাষা-সাহিত্যৰ সূক্ষ্ম গতি-প্রকৃতি সম্পর্কে সাবহিত নহ'লেও, সাহিত্য সভাৰ অধিবেশনত যোগ দি ভাষা-সাহিত্যৰ প্রতি তেওঁলোকৰ আস্থা আৰু আনুগত্য প্রকাশ কৰে। অসম সাহিত্য সভা যে এটা জাতীয় অনুষ্ঠান সেইটো প্রকাশ পাইছে ইয়াৰ সকলোকে সামৰি ল'বপৰা মেলামুখী বিৰাট কপত। নবনাৰায়ণৰ বিৰাট সমাৰেশ সাহিত্য সভাৰ বার্ষিক অধিবেশনক অসমীয়া ভাষা-সাহিত্যৰ জীৱন্ত প্রতীকৰূপে দাঙি ধৰিছে। ইয়াৰ বাহ্যিক বিৰাটত্ব খর্ব কৰি মুষ্টিমেয় সাহিত্যিকৰ আলোচনাৰ থলী কৰিবলৈ গলে সাহিত্য সভাৰ শক্তি আকর্ষণো বহু পৰিমাণে হ্রাস পাব। ইয়াৰ বাহ্যিক বিৰাটত্ব খর্ব নকৰাকৈ ভাষা-সাহিত্যৰ কেনেকৈ প্রকাশ আৰু বিকাশৰ কার্যকৰী পন্থা আঁচনি গ্রহণ কৰিব পাৰি সেই বিষয়ে চিন্তা কৰাহে অধিক সমীচিন হ'ব যেন পাওঁ।

অসমীয়া ভাষা-সাহিত্যৰ স্বার্থ সংবক্ষণ, অসমীয়া ভাষাৰ প্রচাৰ আৰু প্রসাৰ অসমীয়া সাহিত্যৰ বিকাশৰ অনুকূল

পৰিৱেশ সৃষ্টিৰ সহায় কৰাই সাহিত্য সভাৰ মৌলিক উদ্দেশ্য। দৰাচলতে সাহিত্য ব্যক্তিগত চিন্তা, অনুভূতি, বুদ্ধিমত্তা আৰু প্ৰতিভাৰহে ফল। কোনো অনুষ্ঠানে বা বাহ্যিক এজেন্সীয়ে এটা জাতিৰ সাহিত্যক ওপৰলৈ নিব নোৱাৰে; কিন্তু ব্যক্তিগত প্ৰতিভা বিকাশ অনুকূল বাতাৱৰণ সৃষ্টি হোৱাত সাধ্যানুসাৰে সহায় কৰিব পাৰে। অসম সাহিত্য সভাই সাহিত্যক্ষেত্ৰত বিশেষ একো নাই কৰা বুলি কানো মহলত বিদ্ৰূপ মন্তব্য কৰা শুনা গ'লেও এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে যোৱা অৰ্ধ শতাব্দীৰো অধিক কাল এই সভাই অসমীয়া ভাষা-সাহিত্যৰ স্বাৰ্থ সংৰক্ষণ আৰু প্ৰসাৰত ঐকান্তিকভাৱে চেষ্টা চলাই আহিছে। বহুতো উল্লেখযোগ্য গ্ৰন্থ এই সভাই সীমাবদ্ধ আৰ্থিক অৱস্থাৰ মাজেদি প্ৰকাশ কৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নতিত বৰঙণি যোগাইছে। যিসকলে সভাৰ বিৰুদ্ধে বিদ্ৰূপ মন্তব্য কৰে তেওঁলোকেও সাহিত্য সভাৰ প্ৰতি প্ৰেমবশতঃ এনে কথা কয়; তেওঁলোকেও সাহিত্য সভাক অধিক সক্ৰিয় আৰু শক্তিশালী হোৱাটো কামনা কৰে।

সাহিত্য সভা যে একেবাৰে ত্ৰুটীহীন এটা অনুষ্ঠান সেই কথা মই ক'ব খোজা নাই। সভাই গ্ৰহণ কৰা প্ৰস্তাৱ, আঁচনি আৰু কাৰ্যৰ মাজত কোনো কোনো ক্ষেত্ৰত সংগতি ৰক্ষা কৰিব নোৱৰাটো সঁচা কথা। ইয়াৰ কাৰণ প্ৰধানকৈ তিনিটা বুলি মোৰ ধাৰণা হয়, উপযুক্ত কৰ্মীৰ অভাৱ,আৰ্থিক অনাটন আৰু আঁচনি বা প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰিবলৈ স্থায়ী সচিবালয়ৰ অভাৱ। প্ৰত্যেক বছৰেই সভাপতি, প্ৰধান সম্পাদক আৰু কাৰ্যনিৰ্বাহক সমিতিৰ পৰিবৰ্তনৰ কাৰণে আৰু কাৰ্যপন্থা অনুসৰণকাৰী স্থায়ী সচিবালয়ৰ অভাৱত বহুতো আঁচনি হাতত লোৱা সম্ভৱ হৈ নুঠ। এই বিষয়ে সাহিত্য সভাৰ শুভাকাংক্ষীসকলৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

অসমীয়া সংস্কৃতি এটা গোষ্ঠী বা সম্প্ৰদায়ৰ দান আৰু আছুতীয়া সম্পদ নহয়। এই সংস্কৃতি অসমীয়া মাতৃভাষাৰূপে কোৱাসকলৰ উপৰিও বড়ো, কছাৰী, কাৰবি, মিছিং, লালুং, ৰাভা, ডিমাচা, চাহবনুৱা, অসমত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা এসময়ৰ পমুৱা মুছলমানসকলৰ সামন্বয়িক অৱদানৰ ফল। বুৰঞ্জীয়ে ঢুকি পোৱা সময়ৰপৰাই অসমীয়া জাতিৰ এই অংগ-উপাংগসমূহে একগোট হৈ ইতিহাসত ভূমিকা গ্ৰহণ কৰিছে। নানা কাৰণতবশতঃ এই অংগ-উপাংগবোৰ কিছুমান বৰ্তমান কালত পিছ পৰি আছে। সেইসকলৰ সৰ্বতোপ্ৰকাৰ উন্নতিবিধান কৰা আমাৰ জাতীয় চৰকাৰৰ যেনে পবিত্ৰ কৰ্তব্য, তেনেকৈ জাতীয় সংস্কৃতিৰ ধাৰকস্বৰূপ সাহিত্য সভায়ো তেওঁলোকক আগুৱাই আনাত যথাসাধ্য বৰঙণি যোগাবলৈ নিশ্চয় যত্নৰ ত্ৰুটি নকৰে; কিন্তু উন্নতি আৰু প্ৰগতিৰ নামত যদি কোনো এটা অংগই একেবাৰে সম্বন্ধ ছিণ্ডি বেলেগ বেলেগ গোটত পৰিণত হৈ আমাৰ চিৰ চেনেহী জন্মভূমিক খণ্ড-বিখণ্ড কৰিব খোজে তেন্তে সাহিত্য তাৰ নিৰপেক্ষ দৰ্শক হৈ চাই থাকিব নোৱাৰে বৰ্তমান অসমৰ অখণ্ডতা ৰক্ষা কৰাটো অসম সাহিত্য সভাৰ অন্যতম পবিত্ৰ কৰ্তব্য বুলি মই ভাৱোঁ। এইখিনি কথা ক'বলগীয়া হ'ল এই কাৰণেই যে সাম্প্ৰতিক সময়ত অসমীয়া জাতিৰে অপৰিহাৰ্য অংগ বুলি গণ্য কৰি অহা দুই-এটা গোষ্ঠীয়ে আত্ম-স্বাতন্ত্ৰ্যৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ অসমীয়া ভাষাৰ লগত বহুকলীয়া সম্পৰ্ক ছেদ কৰিবলৈ উপক্ৰম কৰিছে। অসমীয়াৰ উপৰিও অসমত বহু সৰু সৰু ভাষাগোষ্ঠীৰ প্ৰচলন আছে। এই ভাষাগোষ্ঠীৰ লোকসমূহক নিজ নিজ কথিত মাতৃভাষাৰ বিকাশ কৰাত বাধাদানৰ প্ৰশ্ন নাহে। শিক্ষাৰ প্ৰাথমিক স্তৰত মাতৃভাষাৰ মাধ্যমেদি শিক্ষা লাভৰ মৌলিক অধিকাৰ সংবিধানে দিছে; কিন্তু মাধ্যমিক স্তৰৰপৰা আঞ্চলিক ভাষাৰ মাধ্যমেদি শিক্ষা লোৱাটো ৰাজ্যৰ সংহতি, সম্প্ৰীতি আৰু শিক্ষানীতিৰ ফালৰপৰাও নিতান্ত প্ৰয়োজন। তদুপৰি আঞ্চলিক ভাষা অসমীয়া যেতিয়া উচ্চ শিক্ষাৰো বাহনস্বৰূপে পৰিগণিত হৈছে,তেনেস্থলত মাধ্যমিক শিক্ষাৰ স্তৰত সকলো ভাষাগোষ্ঠীৰ ছাত্ৰই অসমীয়াক মাধ্যমৰূপে গ্ৰহণ কৰিলে সম্প্ৰতি আৰু সংহতিৰ পথ সুগম হোৱাটো স্বাভাৱিক। সেইকাৰণে আমাৰ বিনীত অনুৰোধ এয়ে যে অসমৰ উপভাষা-ভাষীলোকসকলে নিজ মাতৃভাষাৰ উন্নতিকল্পে কৰা চেষ্টাত অসমীয়া ভাষা-ভাষীয়ে যেনেকৈ বাধ্য সৃষ্টি কৰা অনুচিত, তেনেকৈ সেই ভাষা-ভাষীসকলেও অসমীয়া ভাষা সাহিত্যক পৰিত্যাগ নকৰি মৰমেৰে চোৱা উচিত।

অসমৰ থলুৱা ভাষা-উপভাষাসমূহে পাৰস্পৰিক সদ্ভাৱ আৰু প্ৰীতিৰ ভিত্তিত আগবাঢ়ি যাব পাৰিলেই ৰাজ্যখনৰ সংহতি আৰু উন্নতি সহজ হৈ পৰিব। বড়ো, মিছিং, কাৰবি আদি ভাষাৰ উন্নয়নত অসমীয়া মাতৃভাষা-ভাষীসকলেও বৰঙণি যোগাব পাৰিলে তাৰ বিনিময়ত সেই সেই ভাষা-ভাষীসকলেও অসমীয়া ভাষা-সাহিত্যক শ্ৰদ্ধা আৰু আপোন ভাৱেৰে চাবলৈ কুণ্ঠবোধ নকৰিব। অসমৰ মাধ্যমিক শিক্ষাস্তৰত থকা সকলো ছাত্ৰই যেনেকৈ অসমীয়া ভাষা শিকাটো বাধ্যতামূলক হোৱা উচিত,

তেনেকৈ প্রত্যেক অসমীয়াভাষী ছাত্রই অসমৰ এটা থলুৱা ভাষা শিকাৰ ব্যৱস্থাও কৰিব পাৰিলে ভাল। এনে কৰিব পাৰিলে পাৰস্পৰিক সন্দেহৰ ভাৰ বহুখিনি আঁতৰি যাব। এই সম্পৰ্কে অসমৰ হিতাকাংক্ষী শিক্ষাবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

বড়ো সাহিত্য সভাৰ নেতৃত্বত বড়োসকলে অতকালে ব্যৱহাৰ কৰি অহা অসমীয়া লিপি পৰিত্যাগ কৰি ৰোমক লিপি ল'বলৈ আন্দোলন চলাইছে। মিছিংসকলৰ মাজতো অসমীয়া লিপিৰ ঠাইত ৰোমক লিপি লোৱাৰ প্ৰৱণতাই গা কৰি উঠা দেখা গৈছে। বড়ো আৰু মিছিংসকলে শিক্ষাৰ স্তৰৰপৰা সাহিত্যকৰ্ম পৰ্যন্ত সকলো স্তৰতে ৰোমক লিপি ব্যৱহাৰ কৰিবলৈ ল'লে অসমীয়া ভাষা-সাহিত্যৰ লগত তেওঁলোকৰ সম্পৰ্ক ছিন্ন হ'ব, ফলত সম্প্ৰীতিৰ এডাল শকত জৰী ছিগি যোৱাৰ সম্ভাৱনাই দেখা দিব। বড়ো বা মিছিংসকলে কি লিপি গ্ৰহণ কৰিব সেই বিষয়ে অসম সাহিত্য সভাৰ কোনো বাধা-নিষেধ আৰোপ কৰিবৰ অধিকাৰ নাই; কিন্তু তেওঁলোকৰ হিতকামনা কৰা অনুষ্ঠান হিচাপে এটা বিদেশী লিপি গ্ৰহণ কৰিলে কি সুবিধা-অসুবিধাৰ তেওঁলোক সম্মুখীন হ'ব, তাৰ কেনে প্ৰতিক্ৰিয়া হোৱাৰ সম্ভাৱনা আছে সেই বিষয়ে নক'লে প্ৰতিবেশীৰ কৰ্তব্য পালনত ত্ৰুটী হ'ব। অসম সাহিত্য সভাই যোৱা নৱেম্বৰ মাহত গুৱাহাটীত আয়োজন কৰা লিপি সম্পৰ্কীয় আলোচনাচক্ৰত বড়ো আৰু মিছিং ভাষাৰ ধ্বনিসমূহ প্ৰকাশ কৰিবলৈ ৰোমক লিপি যে মুঠেই উপযোগী নহয়, ৰৰং সেই লিপিৰ গ্ৰহণে কিছু জটিলতাৰ সৃষ্টি কৰাহে সম্ভাৱনা — এই কথা ভাষাতাত্ত্বিক পণ্ডিতসকলে ফঁহিয়াই দেখুৱাইছিল। বিদ্যাভিত্তিক দৃষ্টিকোণৰপৰা যে ৰোমক লিপিয়ে অসুবিধাৰহে সৃষ্টি কৰিব সেই কথাৰ প্ৰতিও ৰোমক লিপিয়ে প্ৰবক্তাসকলৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল। জনজাতীয় ভাষাৰ সুৰভিত্তিক (Tonal) আৰু স্বৰভিত্তিক উচ্চাৰণো ৰোমক লিপিৰ যোগেদি প্ৰকাশ কৰা সহজ নহয়।

অসমীয়া লিপি অসমীয়া মাতৃভাষা-অসমীয়াসকলৰ আছুতীয়া সম্পদ নহয়। ই সমস্ত পূৰ্বাঞ্চলৰ লিপি বুলি ক'ব পাৰি। এই লিপি হাজাৰ বছৰৰ ঐতিহাসিক বিবৰ্তনৰ ফলত সৃষ্টি হৈছিল। বড়ো, ৰাভা, অসমীয়া, বঙালী, মণিপুৰী, ত্ৰিপুৰা, মৈথিল আদি বিভিন্ন গোষ্ঠীৰ ই উমৈহতীয়া সম্পদ। তদুপৰি ভাৰতীয় সংস্কৃতিৰ লগত ই ওতঃ-প্ৰোতভাবে জড়িত। গতিকে এনে এটা লিপিৰপৰা বিচ্ছিন্ন হৈ যোৱা মানে ভাৰতীয় সংস্কৃতিৰপৰাই প্ৰকাৰান্তৰে বিচ্ছিন্ন হোৱা। তদুপৰি এই লিপিৰ যোগেদি বড়ো আৰু মিছিংসকলে অতকালে তেওঁলোকৰ শিক্ষা সাহিত্য কৰ্ম চলাই আহিছে। এতিয়া হঠাতে এলাগী হোৱাৰ কাৰণ নেদেখোঁ।

আশাকৰোঁ বড়ো আৰু মিছিং ভাষা-ভাষীসকলে বৰ্তমান আৰু উত্তৰ পুৰুষৰ ভবিষ্যত চিন্তা কৰি সমগ্ৰ অসমৰ হিতকল্পে এক সুমীমাংসাত উপনীত হৈ ৰাজ্যখনৰ চিৰকলীয়া জাতি-জনজাতীয় সম্প্ৰীতিৰ ডোলগছ কটকটীয়া কৰিব।

অসমৰ চাহবাগিচাৰ বনুৱাসকল অসম আৰু অসমীয়াৰ অবিচ্ছেদ্য অংগ। তেওঁলোক শিক্ষা-দীক্ষাত পিছ পৰা। তেওঁলোকৰ উন্নতিকল্পে অসম সাহত্য সভাই ইতিপূৰ্বে দুই-এখন গ্ৰন্থ প্ৰকাশ কৰিছে; কিন্তু সেয়ে যথেষ্ট নহয়। চাহ বাগিচাৰ বনুৱাসকলৰ মাজত অধিক সংখ্যক অসমীয়া বিদ্যালয় আৰু সাংস্কৃতিক অনুষ্ঠান স্থাপন কৰিবলৈ ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত সাহিত্য সভাই অধিক তৎপৰতাৰে সৈতে যোগাযোগ কৰা উচিত হ'ব। বনুৱাসকলৰ গীত-মাত, পূজা-পাৰ্বণ আৰু সংস্কৃতিৰ সম্পদ সংৰক্ষণৰ দিহা কৰাও প্ৰয়োজন। ন-অসমীয়া মুছলমানসকলৰ মাজতো নিৰক্ষৰতা দূৰীকৰণ আৰু ইছলামীয় আৰু ভাৰতীয় সংস্কৃতিৰ সমন্বয়-সংহতিমূলক কথা আৰু কাহিনী সহজ-সৰল ভাষাত প্ৰকাশ কৰিব পাৰিলে আমাৰ ভাষা সাহিত্য আৰু সংহতি উন্নয়নৰ পথত বহু সহায়ক হ'ব। তেওঁলোকৰ গীত-মাতো সংৰক্ষণীয়।

আমাৰ বৰ্তমান সাহিত্যত প্ৰধানকৈ শিক্ষিত মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তৰ মানসিকতা প্ৰতিফলিত হোৱা দেখা গৈছে। তদুপৰি বৰ্তমান সাহত্য প্ৰধানকৈ নাগৰিক জীৱনৰ ভেঁটিত গঢ় লোৱাৰ কাৰণে আৰু লেখকসকলৰ সৰহভাগেই বুৰ্জোৱা মধ্যবিত্ত শ্ৰেণীৰ হোৱা কাৰণেই মেহনতী জনতাৰ সুখ-দুখ, আশা-আকাংক্ষাৰ প্ৰতিফলন যেনে ধৰণে হ'ব লাগিছিল তেনে ধৰণে হোৱা নাই। আমাৰ সমাজৰ শতকৰা ৮০ জনেই হয় খেতিয়ক, নহয় মজদুৰী কৰা লোক। এওঁলোকৰ জীৱন-অধ্যয়নৰ ভেঁটিত পৰ্যাপ্ত পৰিমাণে সাহিত্য আমাৰ ভাষাত এতিয়াও হোৱা নাই। সেই কাৰণেই আমাৰ সাহিত্যক শিক্ষিত মধ্যবিত্তৰ সাহিত্য বুলিয়েই অভিহিত কৰিব পাৰি।

পুৰণি অসমীয়া সাহিত্যলৈ মন কৰিলে এটা কথা স্পষ্টভাবে ওলাই পৰে যে বৈষ্ণৱ কবিসকলে যি সাহিত্য ৰচনা কৰি গ'ল সেই সাহিত্যই জনতাৰ মাজত ঠাই উলিয়াই ল'লে। 'কীৰ্তন', 'দশম' আৰু 'ভীমচৰিত' আদি কাহিনী-কাব্যসমূহে প্ৰত্যেক

গাঁৱলীয়া মানুহৰ সুখ-দুখ, উৎসৱ-আনন্দৰ সহচৰ হৈ পৰিছিল। শিক্ষিত, অল্পশিক্ষিত আৰু অশিক্ষিত সকলো শ্ৰেণীৰ মানুহৰ মন ঊৰ্ধমুখী কৰাৰ উপৰিও সাহিত্য পঠন শ্ৰৱণৰ বিমল আনন্দ দান কৰিব পাৰিছিল। ক'বলৈ গ'লে সেই সাহিত্য হৈ পৰিছিল জনতাৰ সাহিত্য আৰু লেখকসকলো আছিল জনতৰ মাজৰে এজন। আজি আমাৰ সমাজত লেখক আৰু জনতাৰ মাজত মানসিকতাৰ ক্ষেত্ৰত যথেষ্ট ব্যৱধান গঢ়ি উঠিছে। এই ব্যৱধান কমাই বা চপাই আনিবলৈ হ'লে জনতাক ওপৰলৈ তুলি অনাৰ আগু ব্যৱস্থা গ্ৰহণ কৰাৰ সময় আহি পৰিছে। সাহিত্য সভাই এইক্ষেত্ৰত সামান্যভাৱে হ'লেও ৰঙণি যোগাব পাৰে। অসম সাহিত্য সভাই স্বল্পাক্ষৰী আৰু অল্পশিক্ষিত লোকসকলৰ মানসিক খোৰাক যোগাবৰ উদ্দেশ্যে আৰু তেওঁলোকৰ মানসিক আৰু বৌদ্ধিক উৎকৰ্ষসাধনকল্পে সহজ-সৰল ভাষাত লিখা এলানি জনসাহিত্য প্ৰকাশ আঁচনি হাতত ল'ব পাৰিলে ভাল হয়। আমি অসমীয়া পাঠকৰ সংখ্যাল্পতাৰ কথা কৈ ক্ষোভ প্ৰকাশ কৰোঁ; কিন্তু নিম্নস্তৰৰ বুনিয়াদটো যদি প্ৰশস্ত কৰিব পাৰোঁ তেন্তে পাঠকৰ সংখ্যা ধীৰে ধীৰে বৃদ্ধি নাপাই নাথাকে। শিশু আৰু চেমনীয়াৰ উপযোগী জ্ঞান-বিজ্ঞান আৰু সাহিত্য সম্পৰ্কীয় বিভিন্ন ধৰণৰ পুস্তক প্ৰকাশৰ যোগেদি সিহঁতৰ জ্ঞান আৰু অনুসন্ধিৎসা যদি বঢ়াব পৰা যায় তেন্তে পাঠকৰ সংখ্যাল্পতা অদূৰ ভৱিষ্যতত সংখ্যাধিক্যত পৰিণত হ'ব।

জনসাহিত্য আৰু শিশু সাহিত্যৰ উপৰিও উচ্চ সাহিত্য আৰু তত্ত্বগধূৰ গ্ৰন্থ প্ৰণয়ন কৰাৰ আঁচনি এতিয়া থকাৰ দৰেই সমান্তৰালভাৱে থকাৰ প্ৰয়োজন। অসম প্ৰকাশন পৰিষদে চৰকাৰী সাহায্যৰ ভিত্তিত ইতিমধ্যে বহুখিনি প্ৰয়োজনীয় আৰু আপুৰুগীয়া গ্ৰন্থ প্ৰকাশ কৰিছে, অভাৱগ্ৰস্ত গ্ৰন্থকাৰক গ্ৰন্থ প্ৰকাশৰ উদ্দেশ্যে আৰ্থিক সাহায্য প্ৰদান কৰিছে আৰু কেবাখনো যুগান্তকাৰী বিৰাট গ্ৰন্থৰ আঁচনি হাতত লৈছে। সেই আঁচনিৰ ভিতৰত অসমৰ বিশদ বুৰঞ্জী, অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু বিশ্বকোষ প্ৰণয়ন বিশেষভাৱে উল্লেখযোগ্য। এই আঁচনিকেইটা সম্পূৰ্ণ হ'লে অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ ডাঙৰ অভাৱ পূৰণ হ'ব। পুথি প্ৰকাশনৰ ক্ষেত্ৰত অসম সাহিত্য সভা আৰু প্ৰকাশন পৰিষদৰ মাজত সমন্বয় ৰক্ষা কৰি আঁচনি গ্ৰহণ কৰিলে অধিক ফলপ্ৰসূ হ'ব। সেই কাৰণেই আমি ভাৱোঁ যে প্ৰকাশন পৰিষদৰ কাৰ্য্যনিৰ্বাহক সমিতিত সাহিত্য সভাৰ প্ৰধান সম্পাদকক পদেন সভ্যৰূপে ৰখা নিতান্ত প্ৰয়োজন আৰু অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিতো প্ৰকাশন পৰিষদৰ সচিবক 'পদন' সভ্যৰূপে ৰখাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল। ইয়াৰ ফলত দুয়োটা অনুষ্ঠানৰ মাজত সমন্বয় ৰক্ষা কৰা সহজ হ'ব।

গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিছৰপৰা অসমীয়া ভাষা সাহিত্য সংস্কৃতিমূলক ভালেখিনি গৱেষণা-গ্ৰন্থ পি, এইচ, ডি, উপাধিৰ বাবে স্বীকৃত হৈছে। এই সকলোবোৰ গ্ৰন্থই ইংৰাজী ভাষাত ৰচিত। ইংৰাজীত ৰচিত হোৱাৰ কাৰণে সেই গ্ৰন্থবোৰে অসমীয়া ভাষা সাহিত্যৰ সৌষ্ঠৱ বঢ়াবপৰা নাই। ভাৰতৰ প্ৰায়বোৰ বিশ্ববিদ্যালয়তে আঞ্চলিক-ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কীয় গৱেষণা গ্ৰন্থ আঞ্চলিক ভাষাতে লিখিবপৰা বিকল্প ব্যৱস্থা থকাত গৱেষকসকলে স্বকীয় মাতৃভাষাত তেওঁলোকৰ গৱেষণাগ্ৰন্থ প্ৰণয়ন কৰাৰ সুবিধা পাইছে আৰু সেইবোৰৰ প্ৰকাশে আঞ্চলিক ভাষা সাহিত্য সমৃদ্ধিশালী হোৱাত সহায় কৰিছে। অসমীয়াক উচ্চ শিক্ষাৰ মাধ্যমৰূপে স্বীকৃতি দিয়াৰ পিছত গৱেষণা গ্ৰন্থও এই ভাষাত প্ৰণয়ন কৰাৰ মৰ্যাদা দিয়া উচিত বুলি অনুভৱ কৰোঁ। এনে কৰিলে অসমীয়াত বহুতো উচ্চ মানবিশিষ্ট গ্ৰন্থ পাবলৈ আশা কৰিব পাৰোঁ। হিন্দী, বঙলা আদি ভাষাত এনে গৱেষণা বা 'শোধ' পাবলৈ আশা কৰিব পাৰোঁ। হিন্দী, বঙলা আদি ভাষাত এনে গৱেষণা বা 'শোধ' গ্ৰন্থই সাহিত্য-সংস্কৃতক আলোচনাত্মক দিশৰ সৌষ্ঠৱ আৰু মান বৃদ্ধি কৰাত যথেষ্ট অৱিহণা যোগাইছিল। পি, এইচ, ডি, উপাধিৰ বাবে অসমীয়াত গৱেষণা-গ্ৰন্থ ৰচনা কৰিবলৈ দিবলৈ দুটা অসুবিধাৰ সম্মুখীন হোৱাৰ সম্ভাৱনা নথকা নহয়। প্ৰথম আৰু প্ৰধান হ'ল বাহিৰৰ পৰীক্ষক (External Examination) দুজন পোৱা সহজ নহ'ব। অসমীয়া পঢ়া আৰু বুজা অসমৰ বাহিৰৰ প্ৰখ্যাত পণ্ডিত দুই-চাৰিজনতকৈ বেছি নোলাব। অসমৰ ভিতৰতে পৰীক্ষক নিযুক্ত কৰিলে গৱেষণাৰ মান নামি যোৱাৰ আৰু সৰ্বভাৰতীয় স্বীকৃতি নোপোৱা সম্ভাৱনা থাকে। আৱকলীয়া পৰিস্থিতিত বোধকৰোঁ সকলো বিষয়ৰ পথ অসমীয়াত মুকলি কৰি নিদি য'ত বাহিৰৰ পৰীক্ষক পোৱাৰ সম্ভাৱনা আছে তেনে বিষয়ত অসমীয়াতে গৱেষণা-গ্ৰন্থ প্ৰণয়ন কৰিবলৈ দিয়া উচিত হ'ব বুলি ভাবোঁ। ইংৰাজীত প্ৰণয়ন কৰা সাহিত্য-সংস্কৃতি বিষয়ক গৱেষণা-গ্ৰন্থৰাজীৰ অসমীয়া সংস্কৰণ উলিয়াব পাৰিলে আমাৰ ভাষা সাহিত্যৰ প্ৰচুৰ উপকাৰ হ'ব।

অসম সাহিত্য সভাৰ কেবাগৰাকী প্ৰাক্তন সভাপতিয়ে ইতিপূৰ্বে উল্লেখ কৰা এটা বিষয়লৈ পুনৰ সাহিত্যপ্ৰেমী ৰাইজৰ

দৃষ্টি আকর্ষণ কৰিব খোজোঁ। পুৰণি সাঁচিপতীয়া আৰু তুলাপতীয়া পুথিসমূহ আমাৰ সংস্কৃতিৰ আপুৰুগীয়া সম্পদ। বহুতো প্ৰকাশ নোহোৱা পুথি এতিয়াও গাঁৱে-ভূঞে সিঁচৰিত হৈ পৰি আছে। এই পুথিসমূহৰ এটা অংশ বিভিন্ন সংৰক্ষণকাৰী অনুষ্ঠানত সংগৃহীত হৈছে। তাহানি ১৯১২ চনতে অসম চৰকাৰে "পণ্ডিত হেমচন্দ্ৰ গোস্বামীক নিযুক্তি কৰাৰ দৰে অসম ৰাজ্যিক চৰকাৰৰ সহযোগত নাইবা সাহায্যত অসম সাহিত্য সভাই এবছৰৰ কাৰণে এজন বিশেষ ব্যক্তিক নিয়োগ কৰি ব্যক্তিগত আৰু সত্ৰসমূহৰ জিম্মাত থকা পুথিসমূহৰ এটা জৰীপ কৰা বৰ প্ৰয়োজন হৈ পৰিছে। তাৰ ভিতৰত অতিশয় মূল্যবান আৰু দুষ্প্ৰাপ্য গ্ৰন্থৰ যান্ত্ৰিক বা হাতেলিখা পাণ্ডুলিপি সংগ্ৰহ কৰি ৰখাও প্ৰয়োজন হৈ পৰিছে। সময় থাকোতেই এইটো কৰিব নোৱাৰিলে কিছুবছৰত বহু পুথিয়েই লোপ পাব। অসমৰ পুথি সংৰক্ষণ অনুষ্ঠানকেইটাৰ কোনো এটাই যদি মাইক্ৰফিল্ম নাইবা ফটোষ্টাট মেছিন যোগাৰ কৰিব পাৰে তেন্তে পুথিৰ গৰাকীয়ে হস্তান্তৰ কৰিব নোখোজা বহুতো পুথিৰ যান্ত্ৰিকভাৱে প্ৰস্তুত কৰা পাণ্ডুলিপি সংৰক্ষণ কৰা সম্ভৱ হ'ব। গুৱাহাটী বিশ্ববিদ্যালয় বা বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে এইফালে দৃষ্টি পেলালে ভাল হয়।

আমাৰ পুৰণি ভিতৰত ভালেখিনি চিত্ৰিত পুথি আছে। তাৰে কেইখনমান মাত্ৰ গুৱাহাটী বিশ্ববিদ্যালয় আৰু বুৰঞ্জী পুৰাতত্ত্ব বিভাগত সংৰক্ষিত হৈছে। পুৰণি অসমৰ চিত্ৰকলাৰ উৎকৃষ্ট নিদৰ্শনস্বৰূপে ভালেখিনি চিত্ৰিত পুথি এতিয়াও ব্যক্তিগত সম্পদ হৈয়ে আছে। ব্যক্তিবিশেষে উত্তৰাধিকাৰী-সূত্ৰে লাভ কৰিলেও এইবোৰ জাতীয় সম্পত্তি। ব্যক্তিবিশেষৰ অবৈজ্ঞানিক সংৰক্ষণত ৰাখিবলৈ এৰি দিলে সময়ত এইবোৰ নষ্ট পাব। সেই কাৰণে পুথিৰ গৰাকীসকলে যথোচিত মূল্যৰ বিনিময়ত বৈজ্ঞানিকভাৱে পুথি সংৰক্ষণ কৰা অনুষ্ঠানক তেনে চিত্ৰপুথি সমৰ্পন কৰা উচিত। অসমত থকা বিভিন্ন চিত্ৰিত পুথিৰ প্ৰতিনিধিমূলক নিদৰ্শনৰ এটা বৃহৎ এল্‌বাম্ টীকা-টিপ্পনীসহ যদি প্ৰকাশ কৰিব পৰা যায় তেন্তে পুৰণি অসমীয়া স্বল্পায়তন চিত্ৰ-কালক এটা সুকীয়া স্কুল বা গোষ্ঠীৰূপে প্ৰতিষ্ঠা কৰা সম্ভৱ হ'ব। এই প্ৰসংগত প্ৰকাশন পৰিষদে 'হস্তীবিদ্যাৰ্ণৱ'খন প্ৰকাশ কৰিবলৈ লোৱাটো বৰ সমীচীন হৈছে।

অসমৰ দুখন বিশ্ববিদ্যালয়ত অসমীয়া উচ্চ শিক্ষাৰ মাধ্যমৰূপে স্বীকৃত হৈছে। বিশ্ববিদ্যালয় দুখনে পাঠ্যপুথিসমূহ যুগুত কৰিবলৈ বিহিত ব্যৱস্থা হাতত লৈছে; কিন্তু উচ্চ শিক্ষাৰ স্তৰত পাঠ্যপুথিকেইখনেই এজন ছাত্ৰক বিভিন্ন বিষয়ত পৰ্যাপ্ত জ্ঞান কেতিয়াও দিব নোৱাৰে। তাৰ কাৰণে বিভিন্ন বিষয়ক বহুতো সহায়ক গ্ৰন্থৰ প্ৰয়োজন হ'ব। বিশ্ববিদ্যালয় দুখনে এই বিষয়ত আগভাগ ল'বলগা হ'লেও অসমীয়া ভাষা-সাহিত্যৰ উন্নতিকামী ব্যক্তি আৰু সাহিত্য সভাৰ দৰে ৰাজহুৱা সাহিত্যিক প্ৰতিষ্ঠানৰ ওপৰতো কিছু দায়িত্ব নপৰাকৈ থকা নাই। এটা ভাষা চহকী বুলি ক'বলৈ হ'লে সেই ভাষাত কেৱল সৃষ্টিধৰ্মী সাহিত্য থাকিলেই যথেষ্ট নহয়, জ্ঞান-বিজ্ঞান-দৰ্শন আদি বিভিন্ন বিষয়ক পৰ্যাপ্ত পৰিমাণে গ্ৰন্থ সেই ভাষাত থাকিল লাগিব। আজি ইংৰাজী ভাষা চহকী কেৱল সাহিত্যৰ কাৰণেই নহয়, এই ভাষাত পৃথিৱীৰ এনে এটা বিষয় নাই, যিটো বিষয়ে কোনো ব্যক্তি বা ছাত্ৰই সকলো কথা নিজ ভাষাত খৰচি মাৰি শিকিব নোৱাৰে। আমাৰ ছাত্ৰসকলেও মাতৃভাষাতে সকলো পাব পৰা কৰি দিয়াৰ আদৰ্শ আগত ৰাখি বিশ্ববিদ্যালয় আৰু সাহিত্যিক অনুষ্ঠানকেইটাই সামৱয়িক ভিত্তিত কাম কৰিব পাৰিলে ভাল আৰু সেইমতে আঁচনি ল'লে অধিক ফলপ্ৰসূ হ'ব বুলি আমাৰ ধাৰণা।

আমি এতিয়া আমাৰ পুৰণি অসমীয়া সাহিত্যলৈ আকৌ এবাৰ উভতি চাওঁ। চৰ্যাগীত সমূহক আমাৰ ভাষাৰ প্ৰাচীনতম নিদৰ্শন বুলি যুক্তিসংগতভাৱে আমি দাবী কৰোঁ; কিন্তু আজিলৈকে মূল চৰ্যাপদৰ পুথি কোনেও দেখা নাই। বঙলা পাঠৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ লেখকসকলে সেই গীতবোৰৰ বিষয়ে আলোচনা দাঙি ধৰিছে। ১৯৭০ চনত নেপালৰ ৰাজকীয় অভিলেখাগাৰত (archive) চৰ্যাগীতৰ মূল পুথি দেখাৰ সৌভাগ্য ঘটিছিল। বঙলা পাঠ হাতত নথকাৰ কাৰণে কিমান দূৰ বঙালী পণ্ডিতে মূল পাঠ শুদ্ধভাৱে ৰাখিব পাৰিছে সেইটো চাব পৰা নগ'ল। মূল পাঠ পালে অসমীয়াৰ লগত চৰ্যা গীতৰ ভাষাৰ সামঞ্জস্য অধিক পৰিমাণে আৱিষ্কাৰ হোৱাৰ সম্ভাৱনা আছে। পীতাম্বৰ কবিৰ 'ভাগৱত' আৰু 'মাৰ্কণ্ডেয় চণ্ডী'ৰ পাণ্ডুলিপিও সংগ্ৰহৰ প্ৰয়োজন। বৈষ্ণৱ সাহিত্য সম্পৰ্কে আমাৰ পণ্ডিতসকলে যথেষ্ট আলোচনা কৰিছে, অৱশ্যে আৰু আলোচনাৰ যে থল নাই সেই কথা মই ক'ব খোজা নাই; কিন্তু দুই-এটা বিষয়ত একেবাৰে কাম নোহোৱা কাৰণে তাৰ প্ৰতি অনুসন্ধিৎসু পাঠকৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল। বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যত তন্ত্ৰৰ প্ৰভাৱ এটা আকৰ্ষণীয় বিষয়। 'গুপ্তমণি', 'গুপ্তসাৰ' আদি গ্ৰন্থৰপৰা আৰম্ভ কৰি 'শংকৰ-মাধৱ সংবাদ', 'শংকৰ-দামোদৰ সংবাদ' আদি পুৰণি যোগতন্ত্ৰৰ আলোচনা থকা গ্ৰন্থ যথেষ্ট পৰিমাণে

আছে। শৰণ-ভজন, দীক্ষাতো ষট্‌চক্ৰ, পিণ্ড-ব্ৰহ্মাণ্ডৰ পৰিচয় বহুক্ষেত্ৰত দিয়া হয়। গতিকে এই বিষয়ে ভালকৈ অধ্যয়ন কৰিবৰ যথেষ্ট থল আছে বুলি ভাৱোঁ। এই প্ৰসংগত অসমৰ সৰু সৰু গুপুত সম্প্ৰদায়বোৰ উৎপত্তি, বৈশিষ্ট্য আৰু সেই সম্প্ৰদায়বোৰৰ গীত-মাতৰ তাত্ত্বিক আৰু সাহিত্যিক আলোচনা বিশ্লেষণো নিয়াৰিকৈ এতিয়ালৈকে হৈছে বুলি ক'ব নোৱাৰি। কোনো অনুসন্ধিৎসু গৱেষকে এই কাম হাতত ললে বেয়া নহয়।

আমাৰ পুৰণি পুথি বহুতেই এতিয়াও প্ৰকাশৰ মুখ দেখা নাই। প্ৰকাশন প্ৰতিষ্ঠান সমূহেও এইবোৰ পুথি বিক্ৰী নহয় কাৰণে পাঠ্যপুথি কৰি নিদিলে ছপা কৰিবলৈ আগবঢ়িব নোখোজে; কিন্তু সাহিত্যৰ বুৰঞ্জী নিখুঁতভাৱে ৰচনা কৰিবলৈ হ'লে সৰু-ৰ সকলো পুৰণি পুথি ছপা হোৱা নিতান্ত প্ৰয়োজন। সাহিত্য সভা, প্ৰকাশন পৰিষদ আৰু বিশ্ববিদ্যালয় দুখনে এই কাম হাতত ল'লে আমাৰ সাহিত্যৰ এটা ডাঙৰ অভাৱ পূৰণ হ'ব। পুৰণাৰ অসমীয়া অনুবাদসমূহ অন্ততঃ প্ৰকাশ কৰিব পাৰিলে বৰ ডাঙৰ কাম হ'ব বুলি আমাৰ ধাৰণা। 'পুৰণি পুথি প্ৰকাশ' বুলি এটা আঁচনি ল'ব পাৰিলে বেয়া নহয়। ৰাইজে নখ জোকাৰিলে নৈ বয়, গতিকে সহৃদয় ৰাইজে মুক্তহস্তে সাহিত্য সভাক সহায় কৰিলে এনে আঁচনি কাৰ্যত পৰিণত কৰা একো টান নহ'ব।

আজি হিন্দী সাহিত্য বহুখিনি পুষ্ট হৈছে অনুবাদৰ ফলত। আমাৰ সাহিত্যত বিশ্ব সাহিত্যৰ তথা ভাৰতীয় সাহিত্যৰ বাছকৰনীয়া গ্ৰন্থসমূহ অনুবাদৰ দিহা কৰিব নোৱাৰিনে? অৱশ্যে কিছু গ্ৰন্থ ইতিমধ্যে অনুদিত আৰু প্ৰকাশিত নোহোৱাকৈ থকা নাই। তথাপি সেয়ে যথেষ্ট বুলি ক'ব নোৱাৰি। অনুবাদ যিমানেই বেছি হয় সিমানেই অসমীয়া পাঠকে বহল জগতখনৰ সাহিত্যৰ লগত পৰিচয় হ'বলৈ সুবিধা পাব। পৃথিবীৰ বিভিন্ন সাহিত্যৰ স্ৰোত-উপস্ৰোত, প্ৰবৃত্তি আৰু ধাৰাৰ লগত অসমীয়া পাঠকৰ মানসিক সংযোগ স্থাপিত হৈ বৌদ্ধিক দিগবলয় বিস্তীৰ্ণ হ'ব আৰু 'আনন্দৰ কণা ৰসৰ নিজৰা'ৰ উৎস বৃদ্ধি পাব।

এতিয়া আমি বৰ্তমান সাহিত্যলৈ আহোঁ। 'অৰুনোদয়' প্ৰকাশ হোৱাৰ লগে লগে আমাৰ সাহিত্যই নতুন পথেদি অভিযাত্ৰা আৰম্ভ কৰিলেও ৰস-সাহিত্যই শক্তি সঞ্চয় কৰিবলৈ ধৰে ঊনবিংশ শতাব্দীৰ শেষ দশকৰপৰাহে বুলি ক'ব পাৰি। দৰাচলতে ক'বলৈ গ'লে গোটেই ঊনবিংশ শতাব্দী অসমীয়া জাতিয়ে ভাষা সংৰক্ষণৰ প্ৰচেষ্টাতে বহুশক্তি ক্ষয় কৰিব লগাত পৰে। ভাষা সংৰক্ষণৰ যুদ্ধই ঊনবিংশতে শেষ নহৈ সৌ সিদিনাৰ ষাঠিৰ দশকলৈকে সঞ্চিত ৰোগৰ দৰে আমাৰ জাতীয় জীৱন কঁপাই তুলিছে। ভাষা সংৰক্ষণৰ আত্মশক্তি ক্ষয়কাৰী যুদ্ধত বাৰে বাৰে অৱতীৰ্ণ হ'ব নলগাহেঁতেন, অসমীয়া সাহিত্যই হয়তো আগবাঢ়িবলৈ সুবিধা পালেহেঁতেন। বংগদেশত ঊনবিংশ শতাব্দীত এটা নৱজাগৰণে ধৰ্ম, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত জো�ৱাৰ অহাত সহায় কৰিছিল, যাৰ ফলত ৰামকৃষ্ণ পৰমহংস, বিবেকানন্দ, ৰামমোহন ৰায় আদিয়ে ধৰ্মৰ ক্ষেত্ৰত, বংকিমচন্দ্ৰ, মধুসূদন, ৰবীন্দ্ৰনাথ, শৰৎচন্দ্ৰ আদিয়ে সাহিত্যৰ ক্ষেত্ৰত এক বিৰাট নৱজাগৰণৰ প্লাৱন আনিবলৈ সক্ষম হৈছিল। এই নৱজাগৰণৰ প্লাৱনৰ ফলতেই বঙলা সাহিত্যত এক শক্তিশালী পৰম্পৰা সৃষ্টি হয়। অসমত তেনে নৱজাগৰণ বহু কাৰণবশতঃ সম্ভৱ হৈ নুঠিল। ধৰ্ম, সমাজ, সংস্কৃতি, আদৰ্শ আৰু সাহিত্য সকলো ক্ষেত্ৰতে আলোড়ন নাহিলে অকলশৰীয়াকৈ কেৱল সাহিত্যত এক নৱ অভ্যুত্থান হ'ব নোৱাৰে। 'জোনাকী' কাকতক কেন্দ্ৰ কৰি বেজবৰুৱাকে প্ৰমুখ্য কৰি শৰাইঘটীয়া দলে যি নৱন্যাসৰ পাতনি তৰিলে তাক আমি নৱজাগৰণ (renaissance) আখ্যা দিয়া ভুল হ'ব। সৰ্বতোপ্ৰসাৰী নৱজাগৰণ নোহোৱাৰ কাৰণেই আমাৰ সাহিত্যৰ প্ৰবাহটোৰ পৰম্পৰা বৰ সবল হ'ব নোৱাৰিলে। এক শক্তিশালী পৰম্পৰা গঢ়ি নুঠাৰ কাৰণেই আমাৰ সাহিত্যই কিছু প্ৰশস্ততা লাভ কৰিছে যদিও এতিয়াও গভীৰতা লাভ কৰিব পৰা নাই।

সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ সভাপতি প্ৰথিতযশা পণ্ডিত কৃষ্ণকান্ত সন্দিকৈয়ে এযাৰ বৰ সাৰুৱা কথা কৈছিল। তেখেতে কৈছিল "অভিজ্ঞতাৰ গাম্ভীৰ্য আৰু বৈচিত্ৰ্য ন'হলে সজীৱ স্পন্দনপূৰ্ণ সাহিত্য হ'ব নোৱাৰে। বাস্তৱতে সাহিত্য এটা বিৰাট অভিজ্ঞতা। ব্যক্তিগত আৰু সামাজিক সকলোপ্ৰকাৰ অভিজ্ঞতাৰ প্ৰকাশথল হৈছে সাহিত্য।" পৃথিবীৰ মহৎ লেখকসকলৰ জীৱনলৈ লক্ষ্য কৰিলে জীৱনৰ বৈচিত্ৰ্যময় অভিজ্ঞতাই তেওঁলোকৰ লেখনীত কেনেকৈ শান্ দিছিল সেই কথা উপলব্ধি কৰিব পাৰি। টলষ্টয়, হেমিংৱে, কণৰাড, ছাৰ্ট্ৰে, ডষ্টয়েভস্কি আদি মহৎ লোখকসকলক আছিল বহুমুখী অভিজ্ঞতাবে পৰিপুষ্ট। আমাৰ অসমীয়া সমাজত অভিজ্ঞতাৰ পৰিসৰ বৰ ঠেক। কলেজ কেণ্টিন, হোষ্টেল, বনভোজ, সমদল যাত্ৰা, ৰাজনৈতিক আন্দোলন আৰু সামাজিক বা ঘৰুৱা কাৰ্যকলাপৰ মাজতে আমাৰ অভিজ্ঞতা সীমাবদ্ধ। বহুক্ষেত্ৰত দৈহিক অভিজ্ঞতা নহ'লেও মানসিক আৰু বৌদ্ধিক অভিজ্ঞতাৰ গভীৰতাই উচ্চ সাহিত্য ৰচনাত ইন্ধন যোগায়। সেই ক্ষেত্ৰতো আৰু বৌদ্ধিক অভিজ্ঞতাৰ

পৰিসৰ ঠেক আৰু তৰাং। আমাৰ চিন্তা গতানুগতিক, অধ্যয়নো সীমাবদ্ধ। এনে এটা অৱস্থাত হৃদয়সংবাদী, কালাতিক্রমী সাহিত্যৰ সৃষ্টি হোৱাটো স্বাভাবিকতেই আশা কৰিব নোৱাৰোঁ। অন্য সাহিত্যৰ যে উপৰুৱা তৰাং সৃষ্টি হোৱাটো স্বাভাবিকতেই আশা কৰিব নোৱাৰোঁ। অন্য সাহিত্যৰ যে উপৰুৱা তৰাং সৃষ্টি নাই এনে নহয়; কিন্তু সাহিত্যৰ এটা অংশ যে 'গঙ্গাৰ বেগবাহী', এই বিষয়ে সন্দেহ নাই। আমাৰ সাহিত্যত যে তেনে সাহিত্য সৃষ্টি হোৱা নাই সেই কথা ক'লে বৰ যুক্তিসংগত নহ'ব; কিন্তু তেনে ৰচনাৰ অনুপাত আপেক্ষিকভাবে সীমাবদ্ধ। জলে-স্থলে আকাশে বিচিত্র অভিজ্ঞতা লাভৰ সুবিধা আমাৰ নাই যদিও, বিস্তৃত অধ্যয়ন, স্বকীয় চিন্তা আৰু অনুভৱৰদ্বাৰা গভীৰ সাহিত্য সৃষ্টি কৰিব নোৱাৰৰ কোনো কাৰণ নাই।

অসমীয়াৰ জনসংখ্যা কম, শিক্ষিতৰ সংখ্যা মুষ্টিমেয়। গতিকে জনসংখ্যাবহুল বঙলা বা হিন্দী ভাষাৰ তুলনাত আমাৰ ভাষা-সাহিত্যই যিখিনি আগবাঢ়িবলৈ সক্ষম হৈছে সেইটো অসমীয়া লেখকসকলৰ মাতৃভাষা প্রেমৰ নিদর্শন। আজি দুই-দশক মানৰপৰা লেখকৰ সংখ্যা যথেষ্ট বাঢ়িছে; কিন্তু সেই অনুপাতে পাঠকৰ সংখ্যা বঢ়া যেন নালাগে। আমাৰ অসমীয়া পাঠকৰ সৰহভাগেই ছাত্র আৰু যুৱক শ্রেণীৰ, সেই কাৰণে গল্প আৰু উপন্যাস গ্রন্থ কিছু চলিবলৈ ধৰিছে; কিন্তু পৰিণত বয়সৰ উপযোগী গ্রন্থৰ প্রসাৰ এতিয়াও ভাল ধৰণে হোৱা নাই। ফলত এই শ্রেণী গ্রন্থৰ পাঠক পর্যাপ্ত পৰিমাণে বঢ়া নাই। গ্রন্থ বিক্রী নহ'লে লেখকে লেখিবলৈ উৎসাহ নাপায় আৰু প্রকাশকেও প্রকাশ কৰিবলৈ আগবাঢ়িব নোখোজে। গধূৰ, চিন্তাশীল আৰু দার্শনিক গ্রন্থৰ প্রকাশ আমাৰ ভাষাত এতিয়াও দুখ লগা অৱস্থাতে আছে বুলি ক'লে বোধকৰোঁ অত্যুক্তি কৰা নহ'ব। সকলো বয়সৰ, সকলো মানসিক আৰু বৌদ্ধিক স্তৰৰ পুথি পাঠকক যোগাব পাৰিলে অসমীয়া পাঠক বিদেশী সাহিত্যৰ মুখাপেক্ষী নহৈ নিজৰ ভাষা-সাহিত্যৰ অনুকূলে দৃষ্টিপাত কৰিব।

আমি আগতে কৈ আহিছোঁ যে আমাৰ বর্তমান সাহিত্য জনতাৰ সাহিত্য নহয়। নাঙলৰ সীৱলুত সোণগুটি ফলোৱা কৃষক আৰু কপালৰ ঘাম মাটিত পেলাই উৎপাদন বঢ়োৱা মজদুৰ শ্রেণীৰ আশা-আকাংক্ষা, অভাব-অভিযোগ এই সাহিত্যত স্বৰূপার্থত প্রতিফলিত হোৱা নাই। তেওঁলোকৰ জীৱনক ৰূপায়ণ কৰিব পাৰিব সেইসকল লেখকেহে – যিসকলে সেই সমাজৰ বুকুত সোমাই জীৱন-ৰস আহৰণ কৰিছে; কিন্তু জনতাক উন্নতৰ পথত আগুৱাই আনিব নোৱাৰিলে সেই শ্রেণীৰ মাজৰপৰা ভাল লেখক পাৰলৈ আশা কৰিব নোৱাৰি। সেই শ্রেণীৰ মাজৰপৰা আমাৰ কিছু লেখক নোলোৱা নহয়; কিন্তু শিক্ষা-দীক্ষা আৰু আর্থিক বৈষম্যই তেওঁলোকক বুর্জোৱা মানসিকতা কৰি দৃষ্টিভংগীৰ পৰিৱর্তন সাধন কৰিছে।

জনতাৰ সাহিত্য সৃষ্টি কৰিবলৈ কোৱা মানে বৌদ্ধিক স্তৰত আগবঢ়া আৰু সূক্ষ্ম সৌন্দর্যবোধসম্পন্ন লোকসকলৰ কাৰণে উচ্চমানৰ সাহিত্যলৈ পিঠি দিবলৈ কোৱা নাই। মন্দিৰৰ চূড়াৰ দৰে তলৰছোৱা প্রশস্ত হৈ ওপৰলৈ ক্রমে কাৰুকার্যখচিত ৰূপত সূক্ষ্ম হৈ আকাশ স্পর্শ কৰাটোকে আমি বিচাৰোঁ।

স্বাধীনতা লাভৰ সাতাইছ্ বছৰৰ পিছতো আমাৰ সমাজত আর্থিক বৈষম্য আঁতৰ নহ'ল। শিক্ষাৰ প্রসাৰো শামুকীয়া গতিত। শিক্ষিতৰ কথা নকওঁৱেই, সাক্ষৰতাৰ হাৰো শতকৰা ৩০ জনহে। গতিকে এনে এটা নিৰাশাজনক পৰিস্থিতিত সাহিত্যই গা কেতিয়াও কৰিব নোৱাৰে। আমাৰ এটা প্রবচন আছে -- "আগেয়ে চাউল কঠা, তাৰ পিছতহে হৰি কথা।" সাহিত্যৰ ক্ষেত্রতো এই প্রবচনটো খাটে। পেটত পানী-গামোচা বন্ধা নিৰক্ষৰ জনতাৰ পৰা সাহিত্যৰ পৃষ্ঠপোষকতা বিচৰাটো আকাশ কুসুম বিচৰাৰ দৰে কথা। দেশত আর্থিক বৈষম্য আঁতৰি গৈ জনতাই যদি দুবেলা দুসাজিৰ কাৰণে চিন্তা কৰিব নলগা হয়, শিক্ষিত বা অন্ততঃ সাক্ষৰ লোকৰ হাৰ শতকৰা ৮০/৯০ জনলৈ তুলিবপৰা যায় তেন্তে সাহিত্যৰ সমস্যা আপোনা-আপুনি সমাধানৰ পথত আগবাঢ়িব। ইউৰোপৰ কোনো ভাষাৰ জনসংখ্যা অসমীয়াতকৈ কম, অথচ আর্থিক স্বচ্ছলতা আৰু শিক্ষা বিস্তাৰৰ কাৰণে তেনে ভাষাই সাহিত্য দৰৱাৰত উল্লেখযোগ্য আসন লাভ কৰিবলৈ সক্ষম হৈছে।

অসমীয়া ভাষা সাহিত্যৰ বিকাশৰ ক্ষেত্রত সাম্প্রতিক আৰু এটা গুৰুত্বৰ সমস্যাই দেখা দিছে। সেয়ে হৈছে কাগজৰ দুষ্প্রাপ্য অৱস্থা। দ্বিতীয় মহাযুদ্ধৰ সময়ত আৰু তাৰ অব্যবহিত দুই-এবছৰৰ পিছত এনে ধৰণৰ কাগজৰ অভাৱত অসমীয়া পুথিৰ প্রকাশন প্রায় বন্ধ হোৱাৰ দৰে হৈছিল। প্রকাশিত পুথি সংখ্যা বছৰত ৪/৫ খনলৈ নামিছিল। ষাঠিৰ দশকৰ শেষৰ ফালে আৰু সত্তৰৰো প্রথম দুবছৰত অসমীয়া পুথি বছৰেকত ৩৫০/৪০০ খনলৈ উঠিছিল; কিন্তু ১৯৭৩ চনৰপৰা কাগজৰ দুষ্প্রাপ্য আৰু অগ্নিমূল্য দামৰ কাৰণে সাহিত্যৰ কথাটো বাদেই, পাঠ্যপুথি প্রকাশ কৰাই এক ডাঙৰ সমস্যা হৈ পৰিছে, গুৱাহাটীৰ

যিকেইখন প্রকাশন প্রতিষ্ঠানে ষাঠিৰ দশকত বছৰত ১৫/২০ খন ভাষা-সাহিত্য-সংস্কৃতিৰ পুথি প্রকাশ কৰিছিল সেই অনুষ্ঠানে ১৯৭৪ চনত হয় প্রকাশ কৰিবই পৰা নাই, নহয় ২/৪ খন মাত্র প্রকাশ কৰিয়ে ক্ষান্ত থাকিব লগা হৈছে। কাগজৰ এনে অৱস্থাই যদি আৰু কেইবছৰমান চলিব লগা হয়, তেন্তে অসমীয়া সাহিত্য প্রকাশৰ ওপৰত মাধমাৰ পৰিব। আমাৰ প্রকাশন প্রতিষ্ঠান অন্য ভাষাৰ তুলনাত কম। অলপতে 'ইলাষ্ট্রেড্ উইক্ল'ত ভাৰততে বিভিন্ন ভাষাৰ প্রকাশন অনুষ্ঠানৰ এটা তালিকা প্রকাশ হৈছিল, তাত অসমৰ উল্লেখ নাই। সেই ভাষাবোৰত থকা প্রকাশন প্রতিষ্ঠানৰ সংখ্যা এনেদৰে দিছে— ইংৰাজী ১,৫০০, হিন্দী ২,৫০০, বঙলা ১০০০, মাৰাঠী ৬৫০, কন্নদ ৫০০, সংস্কৃত ৩৮০, তামিল ৩৫০, মালয়ালম ৩৭৭, গুজৰাটী ৩০০, পঞ্জাবী ২৯২, ওড়ীয়া ১৮০, উর্দু ১৭০, সিন্ধী ২৮ । অসমীয়াত সম্ভৱতঃ প্রকাশন অনুষ্ঠান ৫০/৬০ ৰ বেছি নহ'ব। সিন্ধীক বাদ দি অন্য ভাষাৰ তুলনাত যে আমাৰ প্রকাশন অনুষ্ঠান বহুত কম সেই বিষয়ে সন্দেহ নাই। এতিয়া কাগজৰ অস্বাভাৰিক দাম আৰু অনাটনে বহুতো প্রকাশন অনুষ্ঠানক জঠৰকৰি দিব আৰু দিছে। ৰাজ্যিক চৰকাৰে এই বিষয়ে শীঘ্রে সমুচিত কার্যপন্থা হাতত নল'লে আমাৰ প্রকাশন প্রতিষ্ঠানবোৰ মৰা পৰিব আৰু অসমীয়া ভাষা-সাহিত্যৰ প্রচুৰ ক্ষতি হ'ব।

অসমীয়া সাহিত্যৰ ক্ষেত্রত বর্তমান উচ্চ মানবিশিষ্ট আলোচনীৰ অভাৱে সাহিত্যৰ গতিপথ আড়ষ্ট কৰিছে। 'অৰুনোদয়'ৰ যুগৰপৰা আৰম্ভ কৰি একোখন আলোচনীক কেন্দ্র কৰিয়েই অসমীয়া সাহিত্যৰ ধাৰা আৰু প্রবৃত্তিসমূহ প্রকাশ পাই আহিছে। সেই কাৰণেই আধুনিক যুগৰ বিভিন্ন স্তৰক সমালোচকসকলে বিভিন্ন আলোচনীৰ নামেৰে অভিহিত কৰি আহছে। 'অৰুণোদয়', 'জোনাকী', 'বাঁহী', আবাহন', 'জয়ন্তী আৰু 'ৰামধেনু' কাকত নামে বিভিন্ন স্তৰক অভিহিত কৰা দেখা যায়। এই কাকতকেইখনেই অসমীয়া সাহিত্যক নতুন পদক্ষেপত আগবঢ়াই নিছিল, ন ন ভাৱাদর্শ, আংগিক আৰু সাহিত্যিক প্রবৃত্তৰ প্রচলন ঘটাই প্রগতিশীলমুখী কৰিছিল। 'ৰামধেনু'ৰ তিৰোভাৱৰ পিছত বহুকেইখন আলোচনী দুই-এবছৰ আবির্ভাৱ হৈ পুনৰ লয় পায়। কোনো এখনেই আপেক্ষিকভাৱে স্থায়িত্ব লাভ কৰিব নোৱাৰিলে। গতিকে সাহিত্যিক মানবিশিষ্ট কোনো আলোচনীয়ে যোৱা এক দশকত স্থায়িত্ব লাভ কৰিব নোৱাৰাটো বৰ পৰিতাপৰ কথা। "অসম সাহিত্য সভা পত্রিকা"খন নিয়মিতভাবে উলিয়াব পাৰিলেও উচ্চ মানবিশিষ্ট আলোচনীৰ অভাৱ আংশিকভাৱে পূৰণ হ'ব। অৱশ্যে স্বকীয় প্রেছ নথকাৰ কাৰণে বহুত ক্ষেত্রত কাকত নিয়মীয়া কৰিবলৈ টান হৈ পৰে। এই প্রসংগত সাহিত্য সভাৰ নিজা প্রেছ এটাৰ আৱশ্যকতাও অস্বীকাৰ কৰিব নোৱাৰি। নিজা প্রেছ থাকিলে সাহিত্য সভাৰ নিজা প্রকাশনকসমূহৰ উপৰিও ব্যৱসায়িক ভিত্তিত অন্য পুথি ছপা কৰি এটা আয়ৰ বাটো মুকলি কৰা সম্ভৱ হ'ব।

এতিয়া আমি অসমীয়া সাহিত্যৰ বিভিন্ন শাখাৰ গতিপথৰ উমান ল'বলৈ চেষ্টা কৰোঁ। এটা কথা অনস্বীকার্য যে স্বাধীনতাৰ পৰৱর্তী কালছোৱাত অসমীয়া সাহিত্যৰ আনুভূমিক ব্যাপকতা যথেষ্ট বৃদ্ধি পাইছে অর্থাৎ আমাৰ সাহিত্যই আশাতীতভাৱে প্রসাৰতা লাভ কৰিছে। লেখকৰ সংখ্যা যথেষ্ট বাঢ়িছে আৰু প্রকাশন-প্রতিষ্ঠানৰ সংখ্যাও বৃদ্ধি পাই অধিক সংখ্যক পুথিয়ে ছপাশাল গৰকি পোহৰ দেখা পাইছে; কিন্তু আনুলম্বিক (Vertical) গভীৰতা অসমীয়া সাহিত্যই সকলো শাখাতে লাভ কৰিছে বুলি ক'বলৈ টান। দুই চাৰিজনৰ লেখাই পৰিণতি লাভ কৰি গভীৰতা হয়তো লাভ কৰিছে। তেওঁলোকৰ ৰচনাও অন্তর্দৃষ্টিসম্পন্ন নোহোৱকৈ থকা নাই; কিন্তু সৰহভাগ লেখকৰ ৰচনা তৰাং, গতানুগতিক আৰু কোনো কোনো ক্ষেত্রত আংগিকৰ কুচ্-কাৱাজ মাত্র। যি সকল প্রতিষ্ঠিত লেখক, তেওঁলোকৰ সকলোৱেই চল্লিছৰ দেওনা পাৰ হৈছে। চুটি গল্প, উপন্যাস, কবিতা, নিবন্ধ এই সকলো ক্ষেত্রতে নতুন প্রতিশ্রুতিসম্পন্ন লেখকৰ অভাৱ পৰিলক্ষিত হৈছে। শিল্পী আৰু কলাকাৰ — এওঁলোকৰ সৃজনশীল প্রতিভাই সাধাৰণতে চল্লিছ্ বছৰৰ আগতেই প্রতিশ্রুতি দাঙি ধৰে আৰু বহুক্ষেত্রত পূর্ণাভিব্যক্তি হোৱাও দেখা যায়। আমাৰ ডেকা চামৰ, বিশেষকৈ ২৫-৪০ বছৰ বয়সৰ লেখকসকলৰ মাজত প্রতিশ্রুতিসম্পন্ন লেখক অতি নগণ্য সংখ্যক বুলি আমাৰ ধাৰণা। ই মোৰ ব্যক্তগত ধাৰণাহে, সর্বজনগ্রাহ্য মত হয়নে নহয় ক'ব নোৱাৰোঁ। সেয়ে যদি হয়, আমাৰ সাহিত্যৰ ভৱিষ্যৎ বৰ উজ্জ্বল বুলি ক'ব নোৱাৰি। লেখকৰ নির্মাণক্ষমা প্রতিভাৰ লগত গভীৰ আৰু অধ্যয়ন আৰু সূক্ষ্ম অন্তর্দৃষ্টিৰ সংযোগ ঘটিলেহে উৎকৃষ্ট বস্তু সৃষ্টি হোৱা সম্ভৱ। আমাৰ লেখকসকলৰ সৰহভাগৰে দৃষ্টি অন্তৰ-প্রসাৰী নহয়, অধ্যয়নো সীমাবদ্ধ। কেৱল উৰণীয়া কল্পনাক আশ্রয় কৰি উৎকৃষ্ট সাহিত্য সৃষ্টি কৰিব নোৱাৰি। অৱশ্যে আধুনিক যুগৰ সাহিত্য পৰম্পৰা দুর্বল হোৱাৰকাৰণে, আমাৰ সমাজত বৈচিত্র্যময় অভিজ্ঞতাৰ থল সীমাবদ্ধ কাৰণে লেখকসকলে সীমাবদ্ধতাৰ মাজত সাহিত্য

ৰচনা কৰিব লগা হৈছে। অসমৰ ঐতিহাসিক আৰু পাৰপার্শ্বিক অৱস্থা আমাৰ সাহিত্য ৰচনা কৰিব লগা হৈছে। অসমৰ ঐতিহাসিক আৰু পাৰিপার্শ্বিক অৱস্থা আমাৰ সাহত্যিক দৈন্যৰ কাৰণে কিছু পৰিমাণে দায়ী। উখৰা ভূমিত নদন-বদন শস্য আশা কৰিব নোৱাৰি।

জগতৰ কোনো ভাষা-সাহিত্যই বর্হিজগতৰপৰা বিচ্ছিন্ন হৈ আছুতীয়াভাৱে বিকাশ লাভ কৰিব নোৱাৰে। গতিকে বহির্জগতত অভিব্যক্ত হোৱা সাহিত্যিকক ন ন ভাৱাদর্শ, ধাৰা, প্রবৃত্তি আদিয়ে আমাৰ লেখকসকলক আলোড়িত কৰাটো স্বাভাৱিক; কিন্তু প্রত্যেক ভাৱাদর্শ, প্রবৃত্তি আৰু দর্শনৰ উৎপত্তিৰ অন্তৰালত একোখন দেশৰ ইতিহাস, সামাজিক অৱস্থা, ৰাজনৈতিক ধাৰণা আৰু নৈতিক প্রমূল্য জড়িত থাকে। আমাৰ সাহিত্যত সেইবোৰ প্রয়োগ কৰিবলৈ যাওঁতে সেইবোৰ আমাৰ দেশৰ উপযোগী মাধ্যমত স্থাপন কৰি ল'ব লাগিব। উদাহৰণস্বৰূপে ফ্রাঞ্চত উদ্ভৱ হোৱা অৱস্থিতিবাদৰ এক দার্শনিক আৰু ৰাজনৈতিক পটভূমি আছে। সেই বিশেষ পটভূমিতহে অৱস্থিতিবাদ ৰূপ পৰিগ্রহ কৰিছিল। আমাৰ সাহিত্যতো তাক প্রয়োগ কৰোঁতে আমাৰ ঐতিহ্যৰ লগত, আমাৰ মানসিকতাৰ লগত কিমান দূৰ খাপখাই পৰিব তাৰ প্রতি দৃষ্টি ৰাখিব লাগিব। পাশ্চাত্ত্য সাহিত্যত প্রয়োগ হোৱা আংগিক গ্রহণ কৰাত বাধা নাই; কিন্তু দর্শন আৰু মতবাদ প্রয়োগ কৰোঁতে সাৱধান হোৱা উচিত। চকু মুদি সেইবোৰ প্রয়োগ কৰিবলৈ গ'লে সাহিত্য অবাস্তৱ হোৱাৰ সম্ভাৱনা নথকা নহয়।

আমি ভাৰতীয়সকলে ইংৰাজী শিক্ষা লাভ কৰিবলৈ আৰম্ভ কৰাৰ পিছৰপৰাই সাহিত্যৰ ক্ষেত্রত পাশ্চাত্ত্য সাহিত্যৰ অনুকৰণপ্রিয় হৈ পৰিছোঁ। পাশ্চাত্ত্য সাহিত্যত যি পাওঁ তাকে আমি আমাৰ সাহিত্যত অনুকৰণ বা অনুসৰণ কৰিবলৈ চেষ্টা কৰি আহিছোঁ। তাত যি আংগিক, য়ি নতুন প্রবৃত্তিয়ে দেখা দিয়ে তাকে আমাৰ সাহিত্যত আমাৰ সাজ-পোছাক পিন্ধাই পৰিৱেশন কৰাৰ চেষ্টা কৰোঁ। বহুক্ষেত্রত আমি আমাৰ দেশৰ স্থান, কাল আৰু পাত্রও বিচাৰ কৰি নাচাওঁ। সাহিত্যৰ ক্ষেত্রত যে পাশ্চাত্ত্যজগত আমাতকৈ আগবাঢ়া সেই বিষয়ে সন্দেহ নাই। সেই কাৰণে পশ্চিমৰ বাতায়নখন খুলি ৰখাটো প্রয়োজন; পশ্চিমৰ কিয়, সকলো দিশৰ গবাক্ষ মুকলিভাৱে পোহৰ-বতাহ আহিবলৈ খুলি ৰখা প্রয়োজন; কিন্তু তাকে কৰোঁতে চাব লাগিব যাতে কেৰকেৰীয়া বতাহত আমাৰ উশাহ-নিশাহ বন্ধ হৈ যোৱাৰ উপক্রম নহয়। আমাৰ নিজস্ব বস্তুখিনি সেই বতাহত যাতে উৰি নাযায় তালৈ চকু ৰখাৰ প্রয়োজন। আমাৰ পাশ্চাত্ত্য আৰু অন্য বিদেশী সাহিত্যৰ ভাৱ, দর্শন আৰু আংগিক নির্বিচাৰে গ্রহণ কৰিছোঁ; কিন্তু নিজস্ব এতিয়ালৈকে একো তেওঁলোকক দিব পৰা নাই। এইটোৱে আমাৰ প্রতিভাৰ দৈন্যসূচায় নে, অনুকৰণপ্রিয়তা ইংগিত কৰে সেইটো ভাবি চোৱাৰ সময় হৈছে।

যোৱা পঁচিছ্ বছৰৰ উপন্যাসৰ বিকাশলৈ লক্ষ্য কৰিলে এটা উৎসাহজনক কথা চকুত পৰে। সেয়ে হৈছে উপন্যাসৰ সংখ্যা বৃদ্ধি পাইছে আৰু ঔপন্যাসিকৰ লেখো বাঢ়িছে। আমাৰ উপন্যাসৰ ক্ষেত্রত সংখ্যা আৰু গুণ দুয়োটাৰে ৰৰ উৎসাহ বোধ কৰিবপৰা হোৱা নাই। উপন্যাসৰ পাঠক সৱহ সংখ্যক যুৱক, বোধকৰোঁ সেই কাৰণেই ব্যৱসায়িক দিশৰ প্রতি চকু ৰাখি বহুতো উপন্যাসত সস্তীয়া যৌনচিত্রৰ পোহৰ মেলা হয়। জীৱনৰ জিজ্ঞাসাবাদ, ব্যক্তি-জীৱনৰ গভীৰ তলীলৈ অন্তপ্রবেশ বহুতো ক্ষেত্রতো লক্ষ্য কৰা নাযায়। ব্যক্তি-জীৱন তথা সমাজৰ উপন্যাস আচৰণ পদ্ধতিতে লেখকসকলৰ দৃষ্টি সীমাবদ্ধ থকা যেন লাগে। সমাজত বর্তমান চলি থকা দুর্নীতি আৰু ব্যভিচাৰৰ ওপৰত ঔপন্যসিকসকলে আলোকসম্পাত কৰি এখন সুস্থ সমাজৰ আদর্শ দাঙি ধৰিবলৈ কৰা চেষ্টা নিশ্চয় প্রশংসাৰ যোগ্য; কিন্তু ব্যক্তিৰ আভ্যন্তৰীণ ক্রিয়াকলাপ আৰু সমাজৰ এক সর্বাত্মক ৰূপ আঁকিব পাৰিলেহে ৰচনাৰ কৃতিত্ব ফুটি ওলাব। অলপতে কছিয়াৰপৰা বহিষ্কৃত হোৱা ছলঝেনিটিছিনৰ 'ফার্ষ্ট চাইকল' আৰু আগষ্ট, ১৯১৪, পঢ়াৰ সুবিধা হৈছিল। তাত লেখকৰ বিৰাট পৰিকল্পনা, বিষয়-বস্তুৰ ওপৰত অসাধাৰণ প্রভুত্ব আৰু খুঁত-নাটিৰ বিশদ জ্ঞান দেখি আচৰিত নহৈ নোৱাৰি। আমাৰ ঔপন্যাসিককসকলৰ বিষয়ৰ-বস্তু সম্পর্কে তেনে জ্ঞান আৰু দখল থাকিলে সুখপাঠ্য কাহিনী ৰচনা কৰিব নোৱাৰাৰ কাৰণ নাই; কিন্তু মানুহ আৰু সমাজ সম্পর্কে উপৰুৱা অধ্যয়নে বিষয়-বস্তুৰ ওপৰত তেনে দখল দিব নোৱাৰে। আঞ্চলিক উপন্যাসৰ সংখ্যাও বৃদ্ধি পোৱাটো সুখৰ বিষয়; কিন্তু এটা চিন্তাৰ কথা হৈছে এয়ে যে উঠি অহা ডেকাচামৰ ভিতৰত প্রচুৰ সম্ভাৱনা থকা ঔপন্যাসিক ৰৰ বেছি চকুতপৰা নাই। মনোবিশ্লেষণৰ ভেঁটিত চৰিত্রৰ ক্রিয়া-প্রতিক্রিয়া প্রদর্শনৰ চেষ্টাও নিশ্চয় আশাপ্রদ লক্ষণ। মনোবিশ্লেষণৰ কাৰণ আৰু তাৰ অভিব্যক্তিৰ ভেঁটিতো দুই চাৰিখন উপন্যাস ৰচনা হোৱা আমাৰ চকুত পৰিছে। এইবোৰে আমাৰ উপন্যাস সাহিত্যৰ উন্নতিৰ বেঙনি দাঙি ধৰে।

চুটি গল্পৰ ক্ষেত্ৰতো উঠি অহা ডেকাচামৰ মাজত দুই-এজন বাদে বৰ সম্ভাৱনাপূৰ্ণ গল্পকাৰ আমাৰ চকুত পৰা নাই। সৰহভাগ প্ৰতিষ্ঠাশীল গল্পকাৰ চল্লিছ্ব ডেওনা পাৰ হৈ গৈছে। তেওঁলোকৰ গল্পৰ সংগ্ৰহ যোৱা দশকত প্ৰকাশ হৈছে যদিও তেওঁলোকৰ পঞ্চাছ্ব দশকতে গল্পৰ ক্ষেত্ৰত প্ৰৱেশ কৰে। নতুন লেখকসকলে সাধাৰণতে আলোচনীৰ পাততে সাহিত্যক্ষেত্ৰত প্ৰৱেশ কৰি প্ৰতিষ্ঠাৰ পথত আগবাঢ়ে। যোৱা দহবছৰত অসমীয়া সুস্থিৰ আলোচনীৰ অভাৱত বহুতো সম্ভাৱনাপূৰ্ণ লেখকৰ প্ৰতিভাই আত্মপ্ৰকাশৰ পথ বিচাৰি পোৱা নাই। নতুন লেখকৰ গল্পৰ সংগ্ৰহ প্ৰকাশন প্ৰতিষ্ঠানেও প্ৰকাশ কৰিব নোখোজে। ফলত আমাৰ চুটিগল্পৰ ক্ষেত্ৰত যিমান প্ৰতিশ্ৰুতিসম্পন্ন শিল্পী পাব লাগিছিল, সিমানখিনি পোহৰলৈ আহিবলৈ সুবিধা নোপোৱাৰ ফলত আগবাঢ়ি আহিব পৰা নাই। চুটি গল্প সৃষ্টি কৰিবলৈ যি কোনো পৰিস্থিতিয়েই যথেষ্ট, উপন্যাসৰ দৰে অভিজ্ঞতাৰ বৈচিত্ৰ্য আৰু গভীৰতা নহ'লেও চলে। সেই কাৰণেই অসমীয়া চুটি গল্পৰ মান বা গুণগত মূল্য ভাৰতীয় কোনো সাহিত্যতকৈ নিম্নস্তৰৰ নহয়।

অসমীয়া নিবন্ধ-ৰচনাৰ ক্ষেত্ৰত বৰ্তমান অৱস্থা আশাপ্ৰদ বুলি মুঠেই ক'ব নোৱাৰি। বেজবৰুৱাৰপৰা আৰম্ভ কৰি হলিৰাম ডেকা, ডাক্তৰ হেম বৰুৱাৰ মাজেদি ৰস-ৰচনা আৰু নিবন্ধই যি পৰম্পৰা সৃষ্টি কৰে, পঞ্চাছ্ব প্ৰাৰম্ভৰপৰা ষাঠিৰ দশকৰ প্ৰাৰম্ভিক কেইবছৰত ৰস ৰচনাৰ এটা ঢল আহিছিল, কিন্তু ষাঠীৰ দশকৰ মাজভাগৰপৰা এইবিধ ৰচনাৰ প্ৰতি ক্ৰমাৎ লেখকসকলৰ উদাসীনতা পৰিলক্ষিত হয়। প্ৰকাশভংগীৰ স্বকীয়তা, আলাপী ব্যক্তিত্ব, বুদ্ধিদীপ্ত মন্তব্য, চতুল হাস্যৰসৰ ছিটিকনিয়ে এইবিধ ৰচনাক গ্ৰহণযোগ্য কৰি তোলে। প্ৰবল বেগেৰে বৈ হঠাতে এই ধাৰাটো শুকাই যাবলগীয়া অৱস্থা কিয় হ'ল? যি ব্যাপক অধ্যয়নশীলতা, বুদ্ধিমত্তা আৰু ৰসিক-চেতনাৰ প্ৰয়োজন সেইখিনিৰ দৈন্য পৰিছেনে কি সিও ভাৰি চাবলগীয়া বিষয়। বিশুদ্ধ হাস্যৰস, ব্যংগ আৰু কৌতুকপূৰ্ণ ৰচনা এটা স্বতন্ত্ৰ ধাৰাৰূপে লোপ পাবৰ উপক্ৰম হৈছে। আমি বোধকৰোঁ বেৰসিক জাতি, হাঁহিব নাজানো; কিন্তু আমাৰ মাজৰপৰাই বেজবৰুৱা, চিত্ৰসেন যখৰীয়া, ডাক্তৰ হেম বৰুৱা ওলোৱা নাছিল জানো? পঞ্চাছ্ব দশকত যি সকলে এইবিধ সাহিত্যত জোৱাৰ আনিছিল তেওঁলোকৰ লেখনীয়ে মৌনতা অৱলম্বন কৰিলে কিয়? অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ইও এক জটিল প্ৰশ্ন।

ৰসৰচনাৰ কথা বাদ দিলেও, গধুৰ চিন্তাশীল প্ৰবন্ধৰ (সমালোচনাক নধৰি) অভাৱ আৰু বিসদৃশভাৱে চকুত পৰে। বহুক্ষেত্ৰত এনেও দেখা যায় যে আলোচনীৰ সম্পাদকে গধুৰ মৌলিক প্ৰবন্ধৰ অভাৱত অন্য সাহিত্যৰ পৰা অনুবাদ কৰি কাকতৰ পাত পূৰাব লগা হয়। দাৰ্শনিক চিন্তা, কোনো সমস্যাক মৌলিক চিন্তাৰে বিচাৰ কৰি চোৱাৰ প্ৰতিভা আমাৰ নাইনে কি? সাহিত্য সমালোচনামূলক প্ৰবন্ধৰ বাহিৰে নাইবা সাংবাদিক মানৰ প্ৰবন্ধৰ বাহৰে জীৱন, জগত, আৰু সমাজক আমি কেৱল লোকৰ বিতচকুৰেই চাবলৈ শিকিছোনে কি? আমাৰ স্বকীয় দৃষ্টিভংগীমূলক বক্তব্য একো নাইনে? অসমীয়া শিক্ষিত সমাজৰ সম্মুখত এইটো এটা ডাঙৰ প্ৰশ্ন এয়ে যে আমি শিক্ষা পালেও স্বকীয়ভাৱে চিন্তা কৰিবলৈ শিকা নাই কিয়? যদি চিন্তা কৰিলোহেঁতেন তেন্তে সাহিত্যত তাৰ নিশ্চয় প্ৰতিফলন হ'লহেঁতেন; কিন্তু তেনে চিন্তাৰ অভিব্যক্তি চকুত পৰাকৈ ঘটা আমি দেখা পোৱা নাই।

আমাৰ নাট্য সাহিত্যত কিছুদিনৰপৰা ন ন অংগিকৰ পৰীক্ষা-নিৰীক্ষা চলা দেখা পাওঁ। বৰ্তমান সমাজৰ বিভিন্ন দিশক ভিত্তি কৰি, পাশ্চাত্ত্য নাট্যকাৰসকলৰ আংগিক অনুসৰণ কৰি নাট্যকাৰসকলে নাটৰ উপস্থাপনৰীতিত অভিনৱত্ব দান কৰিবলৈ চেষ্টা চলোৱা কোনো কোনো ক্ষেত্ৰত দেখা যায়। কেতিয়াবা প্ৰতীকধৰ্মী, কেতিয়াবা ব্যংগ ধৰ্মী আৰু কেতিয়াবা উদ্ভট ৰূপত ন ন উপস্থাপন পদ্ধতিত নাট মঞ্চস্থ কৰা দেখা গৈছে। অৱশ্যে এইটো নহয় যে বৰ্তমানৰ সকলো নাটতে অভিনৱত্ব আছে। বহু নাটকেই গতানুগতিক বিষয়-বস্তু আৰু বঁহীয়া উপস্থাপনৰীতিৰাৰা জৰাগ্ৰস্ত; কিন্তু এচাম নাটত যে পৰীক্ষা-নিৰীক্ষা চলিছে সেইটোৱেই আশাৰ ৰেঙনি দাঙি ধৰে। নাট আৰু ৰংগমঞ্চৰ উন্নতি বহু পৰিমাণে ব্যৱসায়ক বা বৃত্তিগত ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। নাট ৰচনা আৰু অভিনয় কৰি যেতিয়া জীৱন-নিৰ্বাহ কৰিব লগা হয়, তেতিয়া স্বাভাৱিকতে নিত্য নতুন নাট্যৰসৰ আস্বাদ দান কৰি দৰ্শকক আকৰ্ষণ কৰিবলৈ চেষ্টা চলে। নাট গতানুগতিক হ'লে আৰু অভিনয়ত নতুনত্ব নাথাকিলে দৰ্শকক আকৰ্ষণ কৰিব নোৱাৰে। সেই কাৰণে নাট আৰু অভিনয়ক ব্যৱসায় হিচাপে নল'লে নাট আৰু ৰংগমঞ্চৰ উৎকৰ্ষ সাধন নহয়। নাট আৰু অভিনয়ক কেৱল অৱসৰৰ বিনোদস্বৰূপে কৰ্ষণ কৰাসকলে যে নাট্য আৰু ৰংগমঞ্চৰ উন্নতি সাধন কৰিব নোৱাৰে তেনে কথা মই ক'ব খোজা নাই, ববং আমাৰ নাট আৰু ৰংগমঞ্চই যি উন্নতি লাভ কৰিছে সি অব্যৱসায়ী নাট্যকাৰ আৰু অভিনেতাৰহে অৱদান। মই কেৱল ক'ব খুজিছোঁ এইটোহে যে নাট্য আৰু অভিনয়ক জীৱন-নিৰ্বাহৰ বৃত্তিৰূপে ল'লে উন্নতি দ্ৰুতগামী হয় আৰু

জগতৰ নাট্য পৰিৱৰ্তনৰ লগত সমানে আগবাঢ়িবলৈ সুবিধা হয়। আজি বংগ আৰু মহাৰাষ্ট্ৰই নাট আৰু অভিনয়ৰ ক্ষেত্ৰত দ্ৰুত উন্নতি লাভ কৰিছে বৃত্তিধাৰী অভিনেতা আৰু নাট্যকাৰৰ চেষ্টাৰ বলত। অসমত সহঅভিনয় সন্চালনিভাৱে প্ৰচলন হৈছে আৰু ফলত অভিনয় সজীৱ আৰু বাস্তৱ হৈছে। নাট ৰচনা আৰু অভিনয়ক বৃত্তিৰ স্তৰলৈ আগবঢ়াই নিব পাৰিলে আমি নাট্যকালত আশাশুধীয়াভাৱে লাগি থাকিবলৈ একশ্ৰেণী শিল্পী পাম।

চহৰবোৰৰ উপৰিও গাওঁবোৰৰ উপযোগী নাট আৰু অভিনয়কলাৰ কথাও চিন্তা কৰিবলগীয়া হৈছে। মহাপুৰুষে উদ্ভাৱনা কৰা অংকীয়া নাট আৰু ভাওনাই গাওঁবাসীৰ কেবাটা দিশত উৎকৰ্ষ সাধন কৰিছিল। মন ভগৱৎমুখী কৰিছিল, আনন্দবিনোদ দান কৰিছিল আৰু সুকুমাৰ-কলাৰ চৰ্চাৰে পৰিৱেশ ৰচনা কৰিছিল। আজি অংকীয়া ভাওনাৰ অনুশীলন গাঁওবোৰত হ্ৰাস পালে। পশ্চিমীয়া ঢঙৰ থিয়েটাৰে অনধিকাৰ প্ৰৱেশ লাভ কৰিছে যদিও সৰহভাগ গাঁওবাসীৰ থিয়েটাৰ কলাৰ লগত পৰিচয় নিবিড় নহয়। ভ্ৰাম্যমান অভিনয় দলসমূহে অৱশ্যে যাত্ৰা আৰু থিয়েটাৰৰ সংমিশ্ৰণ ঘটাই এক নতুন দিশ উদঘাটন কৰিছে। এই ভ্ৰাম্যমান অভিনয়-দলসমূহে এইক্ষেত্ৰত এক জাতীয় কৰ্তব্য পালন কৰিছে বুলি ক'ব পাৰি। গাঁওবাসীক লাগে সহজে বিষয়-বস্তু তথা অভিনয়ৰ লগত অন্তৰংগতা স্থাপন কৰিবপৰা নাট্যকলা। ভ্ৰাম্যমান যাত্ৰাভিনয়ে সেই লক্ষণ বহুদূৰ পূৰণ কৰে। পূৰণি ভাওনাৰ মূল বৈশিষ্ট্য অটুট ৰাখি যুগোপযোগী কৰি ল'ব পাৰিলে আমাৰ ঐতিহ্য অক্ষুন্ন থাকিব।

নাটক বহুতেই ৰচনা হৈছে, কিন্তু প্ৰকাশ হৈছে কেইখন? ৰচনাৰ তুলনাত প্ৰকাশৰ সংখ্যা বৰ কম। নাটক অভিনয় হোৱাৰ পিছত প্ৰকাশ কৰিলে আদৰ কমি যায়। গতিকে ভাল ভাল নাটক প্ৰকাশ কৰিবলৈ কিবা এটা সামুহিক ব্যৱস্থা কৰিব পাৰিলে আমাৰ নাটৰ সংখ্যা বাঢ়িব। 'আকাশ বাণী'ৰ যোগেদি প্ৰচাৰিত হোৱা নাটৰ মাজতো একাংশ প্ৰকাশনীয় নাটক আছে। সেইবোৰ প্ৰকাশ কৰিব পাৰিলে আমাৰ নাট্য সাহিত্যৰ সৌষ্ঠৱ বৃদ্ধি পাব।

অসমীয়া সাহিত্যত যোৱা পঁচিছ্ বছৰ বহুতো জীৱনী ৰচিত আৰু প্ৰকাশিত হৈছে; কিন্তু সকলোবোৰেই নায়কৰ গুণ ব্যাখ্যান বুলি ক'লেও বোধকৰো ভুল কৰা নহ'ব। নায়কক অতি ওচৰৰপৰা লক্ষ্য কৰি, নথিপত্ৰ-চিঠি আদিৰ সহায় লৈ ভালে-বেয়াই, শক্তিয়ে-দুৰ্বলতাই, ব্যক্তিগত,সামাজিক সকলো দিশলৈ চকু ৰাখি নায়কজনৰ প্ৰকৃত ৰূপটো উদঘাটন কৰাৰ প্ৰচেষ্টা আমাৰ এতিয়াও হোৱা নাই। স্কুল-কলেজৰ ছাত্ৰৰ চৰিত্ৰ গঠনত সহায় কৰিবৰ কাৰণে লেখা জীৱনীত গুণৰ সমাৱেশ থকাটো বাঞ্ছনীয়; কিন্তু সৰ্বসাধাৰণৰ কাৰণে লেখা জীৱনীয়ে মানুহজনৰ প্ৰকৃত স্বৰূপটোহে দাঙি ধৰিব লাগে, তেওঁৰ দোষ থাকিলে ঢাকিবলৈ চেষ্টা কৰিব নালাগে। আমাৰ ভাষাত বীৰপূজাৰ দৃষ্টিৰেহে এই পৰ্যন্ত জীৱনী ৰচিত হৈছে, নায়কৰ সকলো দিশৰ ফালে লক্ষ্য ৰাখি ৰচনা কৰিবলৈ চেষ্টা এই পৰ্যন্ত কোনেও কৰা নাই। অথচ প্ৰকৃত জীৱনী তেনে হোৱা উচিত।

বৰ্তমানৰ কবিতা সীমাবদ্ধ পাঠকৰ মাজত আবদ্ধ। আগৰ কবিতাত অখণ্ড ভাব আৰু অনুভূতিয়ে প্ৰাধান্য লাভ কৰিছিল; কিন্তু বৰ্তমানৰ অৰ্থাৎ অধুনা প্ৰচলিত কবিতা বুদ্ধিমত্তা আৰু অনুভূতিৰ সংশ্লেষণ। গতিকে শিক্ষিত হ'লেও, আধুনিক কবিতাৰ সংস্কাৰ নাথাকিলে, কবিতাৰ ৰসাস্বাদন কৰা সম্ভৱ নহয়। অধুনা প্ৰচলিত কবিতা বৰ্তমান কালৰ জটিলতাৰ প্ৰতীক। জগতৰ ভাবাদৰ্শ, প্ৰবৃত্তি আৰু আংগিকৰসংযোগত গঢ় লৈছে। প্ৰকাশভংগী বা উপস্থাপনৰ পদ্ধতি অত্যন্ত বৈয়ক্তিক আৰু আত্মগত হোৱা কাৰণে সৰ্বসাধাৰণ পাঠকৰ পক্ষে ইয়াৰ ৰস গ্ৰহণ কঠিন হোৱাটো স্বাভাৱিক। বোধকৰো এই কাৰণেই আধুনিক কবিতা পুথিৰ পাঠক তথা ক্ৰেতা বৰ কম আৰু প্ৰকাশকসকলেও কবিতাৰ পুথি ব্যৱসায়ৰকালে লক্ষ্য ৰাখি ছপাব নোখোজে। দৰাচলতে উচ্চ স্তৰৰ কবিতা কোনো দেশত, কোনো যুগতে জনতাৰ বা সৰ্বসাধাৰণৰ বস্তু নাছিল। সৰ্বসাধাৰণ জনতাৰ মাজত সেই কাৰণে সৃষ্টি হৈছিল লোকসাহিত্য, বেলাড, লোকগীত ইত্যাদি। সংস্কৃত, প্ৰাকৃত আনকি অপভ্ৰংশৰ কবিতা আৰু কাব্যও বিশেষ পাঠকগোষ্ঠীৰ নিমিত্তেহে ৰচিত হৈছিল। সংস্কৃত আলংকাৰিসকলে কাব্যৰ ৰসাস্বাদন কৰিবৰ কাৰণে পাঠকৰ ৰস-বাসনা থকাৰ প্ৰয়োজন বুলি স্বীকাৰ কৰিছে। এই ৰস-বাসনাই হৈছে পাঠকৰ কাব্য-ৰূপ আৰু কাব্য-ধৰ্ম সম্পৰ্কে সংস্কাৰ বা সম্যক ধাৰণা। গতিকে দেখা যায় যে আধুনিক কবিতা সীমাবদ্ধ পাঠকৰহে উপযোগী বুলি কৰা অভিযোগ সঁচা হ'লেও, কবিতাৰ উপযোগিতা আৰু মূল্য গণতান্ত্ৰিক ভেঁটিত নিৰ্ণয় হোৱা নাই।

আধুনিক কবিতাৰ ক্ৰমপৰিণতি অনুধাৱন কৰিবলৈ কবিসকলৰ কবিতাৰ প্ৰতিনিধিমূলক সংকলন একোটা বছৰৰ মূৰত উলিয়াব পাৰিলে বৰ ভাল হয়। কেইবছৰমানৰ আগতে দত্তবৰুৱা ব্ৰাদাৰ্ছে 'বছৰৰ কবিতা' নামেৰে আধুনিক কবিতাৰ

একোটি সংকলন দুবছৰ প্ৰকাশ কৰি বন্ধ কৰিলে। এনে প্ৰতিনিধিমূলক সংকলনৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। আমাৰ কবিতা আৰু চুটিগল্প আদিও অন্যান্য ভাৰতীয় ভাষালৈ অনুবাদ কৰিব পাৰিলে অসমীয়া সাহিত্যৰ প্ৰচাৰ আৰু অন্য সাহিত্যৰ তুলনাত মূল্যায়ন কৰা সুবিধা হ'ব। আধুনিক কবিতাই আমাৰ কলেজীয়া পাঠ্যপুথিত ন্যায্য স্থান পোৱা নাই যেন লাগে; অসমীয়া উচ্চ শিক্ষা লোৱা ছাত্ৰসকলো কবিতাৰ বৰ্তমান ধাৰৰ লগত পৰিচিত হোৱা নিতান্ত প্ৰয়োজন।

সাহিত্যপ্ৰেমী ৰাইজ, মই আপোনালোকৰ আৰু সময় লৈ আমনি দিব নোখোজোঁ। অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ লগত প্ৰকাৰন্তৰে জড়িত দুই-এটা সমস্যালৈ আঙুলিয়াই মোৰ বক্তব্য শেষ কৰিম। প্ৰথমটো হৈছে ৰাজ্যিক ভাষাৰ সমস্যা। অসমীয়া, নামত অসমৰ ৰাজ্যিকভাষাৰূপে স্বীকৃত হৈছে যদিও কামত সম্পূৰ্ণৰূপে সেই মৰ্যাদা পাইছে বুলি কোৱা টান। ৰাজ্যিকপ্ৰশাসনৰ সকলো স্তৰতে অসমীয়া এতিয়াও সুচাৰুভাৱে ব্যৱহাৰ হোৱা নাই। গাঁও পঞ্চায়তৰ অফিচৰপৰা সচিবালয় পৰ্যন্ত সকলো স্তৰতে অসমীয়াৰ ব্যৱহাৰ অপৰিহাৰ্য হোৱাটো আমি বাঞ্ছা কৰোঁ; কিন্তু সচিবালয়ত আৰু কিছু পৰিমাণে উপায়ুক্তৰ দপ্তৰত এতিয়াও ইংৰাজীৰ প্ৰয়োগ চলি থকাৰ কাৰণে অসমীয়াৰ আধিপত্য প্ৰতিষ্ঠা হোৱা নাই। ৰাজ্যচৰকাৰে যদি এইক্ষেত্ৰত কিবা অসুবিধাৰ সম্মুখীন হৈছে তেন্তে সেই অসুবিধা আঁতৰোৱাৰ দিহা কৰি অচিৰে অসমীয়াৰ প্ৰাধান্য প্ৰতিষ্ঠা কৰা উচিত। অন-অসমীয়া বিদ্যালয়সমূহতো অসমীয়া ভাষা শিকোৱাৰ ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা উচিত।

দ্বিতীয়তে বহিৰাগতৰ অবাধ প্ৰব্ৰজনে অসমৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱন বিপন্ন কৰি তোলাৰ যি সম্ভাৱনাই দেখা দিছে সেই বিষয়ে এই সাৱহিত হোৱাৰ সময় উপস্থিত হৈছে। ভাৰতৰ ভিতৰত অসমতেই জনসংখ্যা বৃদ্ধিৰ হাৰ সকলোতকৈ বেছি। ইয়াৰ প্ৰধান কাৰণ হ'ল অন্য ৰাজ্যৰ পৰা অসমলৈ ভূয়সী প্ৰব্ৰজন। ভাৰতৰ অবিচ্ছেদ্য অংগস্বৰূপে অন্য ৰাজ্য বা প্ৰান্তৰ লোক অসমলৈ অহাত বাধা প্ৰদান কৰা টান; এইটো ভাৰতীয় নাগৰিকৰ অন্যতম মৌলিক অধিকাৰ; কিন্তু ৰাজ্যখনৰ খিলঞ্জীয়া অধিবাসীৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱন বিপন্ন হ'বলৈ ৰাজ্যিক চৰকাৰে এৰি দিলে দেশবাসীৰ প্ৰতি দুৰ্যোৰ অন্যায় কৰা হ'ব। বহিৰাগতসকল আহি যদি অসমৰ বুকুত সৰু সৰু উপনিৱেশ স্থাপন কৰি নিজ নিজ সম্প্ৰদায়ৰ ভাষা-সংস্কৃতি প্ৰচাৰ আৰু প্ৰতিষ্ঠাত লাগি যায় তেন্তে ৰাজ্যখনত সংহতিৰ পৰিবৰ্তে অশান্তিৰ বীজ বপন হ'ব। সেই কাৰণে বহিৰাগতসকলৰ অবিচ্ছিন্ন ধাৰা কেনেকৈ নিয়ন্ত্ৰণ কৰিব পৰা যায় সেই বিষয়ে ৰাজ্য চৰকাৰে চিন্তা কৰা প্ৰয়োজন। বহিৰাগতসকলৰ যদি স্থানীয় খিলঞ্জীয়া অধিবাসীৰ লগত মিলি যাব পাৰে আৰু স্থানীয় অধিবাসীৰ সুখ-দুখৰ লগত তেওঁলোকৰ ভাগ্য জড়িত কৰি দিব পাৰে তেন্তে ৰাজ্যখনৰ পক্ষে মংগল। নহ'লে অবাধ বহিৰাগতৰ ঔপনিৱেশিক সংস্থাপনে অদূৰ ভৱিষ্যততে খিলঞ্জীয়া অধিবাসীক সংখ্যালঘুত পৰিণত কৰি অসমীয়াক নিজঘৰতে আলহি কৰিব। এই বিষয়ত কেৱল ৰাজ্য চৰকাৰেই নহয় অসমৰ খিলঞ্জীয়া অধিবাসীও সাৱধান হ'বৰ হ'ল। সংবিধানৰ মৌলিক অধিকাৰৰ নামত এখন ৰাজ্যৰ খিলঞ্জীয়া অধিবাসীৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱন বিপন্ন কৰিবলৈ কোনো ভাষা-ভাষী বা গোষ্ঠীক এৰি দিলে আত্মহত্যা কৰাৰ সমতুল্য হ'ব।

সহৃদয় ৰাইজ, মই আৰু আপোনালোকৰ বহুমূলীয়া সময় অপব্যৱহাৰ কৰিব নোখোজোঁ। অসমীয়া জাতিৰ সৰ্বতোপ্ৰকাৰ মংগল আৰু ভাষাজননীৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ নাতিদীৰ্ঘ বক্তব্য সামৰিব খোজোঁ। অসমীয়া সাহিত্যই বিশ্বসাহিত্যৰ দৰবাৰত সোণ-ৰূপৰ আসন লাভ কৰিবলৈ সমৰ্থ হওক — ভগৱন্তৰ চৰণৰ ইয়াকে প্ৰাৰ্থনা জনাই, ৰাইজলৈ আকৌ এবাৰ প্ৰণিপাত কৰি মোৰ ভাষণ ইমানতে শেষ কৰিলোঁ। সংস্কৃত নাট্যকাৰৰ ভৰত বাক্যেৰে সকলোৰে সুখ-শান্তি কামনা কৰিলোঁ।

সন্তঃ সন্তু নিৰন্তৰং সুকৃতিনো বিধ্বস্তপাপোদয়া
ৰাজানঃ পৰিপালয়ন্তু ৱসুধাং ধৰ্মে স্থিতাঃ সৰ্বদা।
কালে সংততৱৰ্ষিণো জলমুচঃ সন্তু ক্ষিতৌ পুণ্যতো
মোদন্তাং ঘনবন্ধুবান্ধৱ সুহৃদ্‌গোষ্ঠী প্ৰমোদাঃ প্ৰজাঃ ।।

-- ✱ --

ত্রিচত্বাৰিংশ সম্মিলন

টিহু, ১৯৭৬ খ্ৰীঃ

যজ্ঞেশ্বৰ শৰ্মা

স নো বুদ্ধ্যা শুভয়া সংযুনক্তু

অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সদস্যসকল, বিশিষ্ট অতিথিসকল, প্ৰতিনিধিবৰ্গ আৰু অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি শ্ৰদ্ধাবন্ত ঘাইজ, অসম সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ অধিবেশন উপলক্ষ্যে, আজি এই পুণ্যতীৰ্থত সকলোটি একেলগ হৈছোঁ। ৰাইজৰ মহামিলনৰ ফলত ওপজা অজেয় শক্তিলৈ প্ৰথমতেই সেৱা জনাইছোঁ। অসম জননীৰ যিসকল সন্তানৰ ত্যাগ আৰু সাধনাৰ ফলত আজি অসমীয়া সাহিত্যই বৰ্ত্তমান অৱস্থা পাইছেহি, সেইসকলৰ পুণ্যস্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাও আমাৰ একান্ত কৰ্ত্তব্য। এনে এখন সম্মিলনত এই নিচলাকো ৰাইজে সভাপতিৰ আসন দি মান ধৰিছে, সেইবাবেও ৰাইজৰ ওচৰত আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগ বঢ়াইছোঁ। মোকো আপোনাসকলৰ লগৰে অসমীয়া ভাষা-সাহিত্যক ভালপোৱা সাধাৰণ নাগৰিক বুলিয়েই ভাবিব। ব্যক্তিতকৈ সমাজক আৰু সমাজৰ মন-প্ৰাণ আৰু বিবেকক প্ৰকাশ কৰা সাহিত্যক সন্মান কৰাটোহে কৰ্ত্তব্য; এই কথা যেন আপোনাসকলে নাপাহৰে। সকলোৰে স্নেহ, ত্যাগ আৰু সাধনাৰ গুণত এই সম্মিলন সাৰ্থক হওক।

বহুবি এবাৰকৈ অসমৰ কোনো এখন ঠাইত এনেদৰে গোট খোৱাটো অসমীয়াৰ এটা বিশেষ কৰ্ত্তব্য হৈ পৰিছে। এনে সম্মিলনৰ পৰা চকুৰে দেখা কি লাভ হৈছে বা হ'ব, সেই কথা বুজাই দিয়া টান; কিন্তু ভালেখিনি কাম যে হৈছে, সিও ঠিক। বিভিন্ন শ্ৰেণীৰ আৰু বিভিন্ন স্বাৰ্থৰ অসমবাসী লোকৰ মাজত যে অসম সাহিত্য সভাই এটা সমুহীয়া স্বাৰ্থৰ ভাব আনি দিছে সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু যিমানখিনি কৰিব লাগিছিল, যিমানখিনি কাম হব লাগিছিল, সিমান হোৱা নাই-সেইটোও আমি দকৈ ভাবি চোৱা উচিত হ'ব। আজি অলপ দিনৰ আগতে এগৰাকী চিন্তাশীল ডেকা সাহিত্যিকে কোৱা এই কথাখিনি আমি এবাৰ মন কৰি চালে বেয়া নহ'ব যেন পাওঁ। তেখেতে কৈছিলঃ

"অসমীয়া সমাজৰ উচ্চবিত্ত শ্ৰেণীটো আৰু ডাঙৰ অফিচাৰ-প্ৰফেছাৰ, ৰাজনৈতিক নেতা, শিক্ষাবিদ্ আদিৰ বেচি ভাগেই নিজেই অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি উদাসীন। অসমীয়া সাহিত্যৰ বিষয়ে গুৰুত্বপূৰ্ম প্ৰশ্ন সুধিলে এই সকলৰ কেইজনে উত্তৰ দিব পাৰিব, সেই বিষয়ে মোৰ ঘোৰ সন্দেহ আছে। বহুবি বহুবি সাহিত্য সভাৰ ভোজ-মেলত হয়তো এখেতসকলৰ কিছু সংখ্যক উপস্থিতি হয়; কিন্তু সেইটো কথাক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি তেওঁলোকৰ কোনো অনুৰাগৰ পৰিচয় বুলি মই নধৰোঁ। তেনে অনুৰাগৰ প্ৰকৃত পৰিচয় অন্য চৰিত্ৰৰ। আৰু তেনে পৰিচয় আমি এই সকলৰবেছি ভাগৰ ক্ষেত্ৰতেই নেদেখোঁ।"

(আই মোৰ অসম)

জনা-শুনা লোকৰ উদাসীনতা দেখিলে সৰলচিতীয়া দেশপ্ৰেমিকে মনত বৰ আঘাত পায়, ই স্বাভাৱিক। "অতি স্নেহঃ পাপাশঙ্কী।" বাহিৰত ল'ৰা-ছোৱালীয়ে অকণমান কন্দা যেন শুনিলেই অসমীয়া সাহিত্যৰ বিষয়ে বিশেষ ভাবে জানিব, এইটোও আশা কৰিব নোৱাৰি। উচ্চবিত্ত শ্ৰেণী, ৰাজকৰ্মচাৰী এইসকলৰ অনেকেই আজি কালি অসমীয়া সাহিত্যৰ প্ৰতি উদাসীন নহয়; ৰাজনৈতিক নেতাসকলেও উদাসীনতা বহু পৰিমাণে এৰিছে বুলি বিশ্বাস হয়। সাহিত্য সম্মিলনত মধ্যবিত্ত আৰু নিম্নবিত্ত গাঁওলীয়া লোকেই সবহ। সম্মিলনৰ শক্তিও সেইসকলৰ পৰাই আহিছে আৰু আহি থাকিব। সাহিত্য সম্মিলন নিয়ন্ত্ৰণ কৰা

সম্পর্কত গাঁৱলীয়া কেন্দ্রবিলাকৰ মাজত অৱিয়া-অৱি লাগে। এই সকলৰ মাজত সাহিত্যৰ প্ৰতি আগ্ৰহ আৰু শ্ৰদ্ধাৰ সৃষ্টি কৰিব পাৰিলেহে সাহিত্য সভাৰ সাৰ্থকতা।

এই বাৰ্ষিক অধিবেশন বহুৱাব পৰা বাবে টিহু অঞ্চলৰ বাইজ সকলোৰে অশেষ ধন্যবাদৰ পাত্ৰ। আন ঠাইতকৈ কিছু কম সময়ৰ ভিতৰত আৰু বৰ্তমান দেশৰ নানা অসুবিধা আৰু জঞ্জালৰ মাজতো টিহুৰ বাইজে সাহ কৰি সন্মিলনৰ আয়োজন কৰিছে। আশা কৰোঁ এখেতসকলৰ এনে আন্তৰিকতাপূৰ্ণ আমন্ত্ৰণত সৰু-সুৰা দায়-দোষ পালেও উদাৰ সাহিত্যসেৱীসকলে নিশ্চয় সেই বিলাক কথালৈ কাণ নকৰে।

অলপ দিনৰ ভিতৰত এই অঞ্চলে শিক্ষা, সংস্কৃতি, ব্যৱসায় আদি আগবাঢ়ি হৈছে। ইয়াৰ গুৰিতে আছে বিদ্বান, গুণী আৰু স্বদেশপ্ৰিয় লোকৰ অধ্যৱসায়। মানুহে বুৰঞ্জীক থাপনাত থৈ পূজা কৰিয়েই নাথাকে, বুৰঞ্জী সৃষ্টিও কৰে। পুৰণি গৌৰৱৰ প্ৰতি আমাৰ এটা মোহ আছে; ই আমাক প্ৰেৰণা দিয়ে, কেতিয়াবা দুৰ্বলো কৰে। টিহুৰ বুৰঞ্জী অতি পুৰণি নহ'লেও ইয়াৰ উৎসাহী আৰু কৰ্মী বাইজে নিজৰ ভৱিষ্যত সৃষ্টি কৰি লব।

'টিহু' নামটিৰ আঁতিগুৰি ভাষাতত্ত্ব আলোচনা কৰা আৰু বুৰঞ্জীৰ পম-খেদা লোকসকলেহে উলিয়াব পাৰিব। বহুত নৈ, নগৰ আৰু গাঁৱৰ নামৰ লগত প্ৰাচীন স্মৃতি জড়িত হৈ আছে। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে ঠাইৰ নামৰ বুৰঞ্জী সংগ্ৰহ কৰাও সাহিত্য সভাৰ উদ্দেশ্যৰ ভিতৰতে পাৰে। সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতি বুৰঞ্জীবিদ্ শ্ৰীবেণুধৰ শৰ্মাদেৱে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কোনো গাঁও-ভূইঁলৈকে নোযোৱাকৈ থকা নাই। তেখেতে এই সম্পৰ্কে অলপ কাম কৰা যেন শুনিছোঁ। যি হওক আমাৰ শাখা-সভাবিলাকৰ সহায় এনে কামত আৱশ্যক হ'ব। অক্ছফৰ্ড য়ুনিভাৰ্ছিটি প্ৰেছে 'ডিক্ছনেৰী অব্ ইংলিছ্ প্লেছ্ নেম্ ছ্' বুলি বহুত গবেষণাৰ ফল ছশ-সাতশ চিঠিৰ এখন পুথি প্ৰকাশ কৰা ভালে দিন হ'ল।

এই জাতি-উপজাতিৰ সোঁৱৰণী বুকুত লৈ থকা অসম কামৰূপে একালত ভাৰতৰ উত্তৰ-পূৰ অংশৰ ভালেখিনি ঠাই সামৰি লৈছিল। কুমাৰ ভাস্কৰবৰ্মাক পূৰ্ব ভাৰতৰ অধিস্বামী বুলি বুৰঞ্জীয়ে বৰ্ণনা কৰিছে। এই বহল ৰাজ্যৰ সীমা কালক্ৰমত ঠেক হৈ বৰ্ত্তমানৰ ক্ষীণ অৱস্থা পাইছেহি। বুৰঞ্জীয়ে ভূগোলৰ পৰিৱৰ্ত্তন কৰিলে। এই এমুঠি মানুহৰ ভিতৰতো মাজে-সময়ে ভিন্ ভাবে আশ্ৰয় লয় আৰু বিৰোধৰ সৃষ্টি কৰিবলৈ বিচাৰে। অসমীয়া মানুহখিনি এগোট হৈ থকাটো দেখিব নোৱাৰা অনুষ্ঠান আৰু ব্যক্তি আছে বুলি সকলোৱে জানে। এই অমঙ্গলীয়া শক্তিবিলাকে অজলা মানুহক বিপথে নিবলৈ চেষ্টা কৰি থাকে আৰু এই শত্ৰুবিলাকৰ পৰাই একেখন আখলতে দহোটা চৰু জুৰিবলৈ উচটনি পায়। বাইজৰ ওচৰত এয়ে গোহাৰি যেন কোনো শক্তিয়েই একেলগে মিলিজুলি থকা পৰিয়ালটোৰ মাজত বিভেদৰ সৃষ্টি কৰি সমাজ আৰু ৰাষ্ট্ৰৰ অমঙ্গলৰ পাতনি মেলাত সহায় কৰিব নোৱাৰে। আগৰবালা কবিয়ে কোৱাৰ দৰে ঃ

ঘাটৰুৱা লোকৰ কথাতে
ভাঙিবানে আপোনাৰ ঘৰ?

জাগি নুশুলে গৃহস্থৰ কাৰণে বিপদৰ ৰৰ ভয়। সময়ত সজাগ আৰু সতৰ্ক নোহোৱাৰ কাৰণেই ভালেখিনি অবাঞ্ছনীয় ঘটনা ঘটিবলৈ পায়। এই বাৰে ওপৰৰপৰা তললৈকে কোনেও নিজৰ দায়িত্ব অস্বীকাৰ কৰিব নোৱাৰে।

এই প্ৰসঙ্গত কলাগুৰু বিষ্ণু ৰাভাই প্ৰায়েই কোৱা এটা কথালৈ মনত পৰে। তেখেতে অসমৰ কৃষ্টিক ব্ৰহ্মপুত্ৰৰ লগত তুলনা কৰে। দিহিং, দিছাং, দিখৌ, সোৱনশিৰি, ধনশিৰি, ভৰলু, কপিলী, মানাহে মহাবাহু ব্ৰহ্মপুত্ৰৰ সোঁতৰ লগত নিজৰ সোঁত যোগ দিছে, অথচ নিজৰ সত্বাও একেবাৰে হেৰুৱাই পেলোৱা নাই। দিছাং বা মানাহে ব্ৰহ্মপুত্ৰৰ বিশাল জলৰাশিৰ মাজত নিজৰ অৱদানখিনি যদি বিচাৰি উলিয়াবলৈ যায়, তাক সহজে-নাপাব। অথচ ব্ৰহ্মপুত্ৰৰ মাজতে প্ৰত্যেক নদীৰ পানী লীন হৈ থকাটাও সঁচা।

অন্ততঃ আমাৰ দেশত ৰাজনীতি আৰু ধৰ্ম-সম্প্ৰদায়ে সমাজ আৰু দেশক জানিয়েইবা নাজানিয়েই ফালিবলৈ চেষ্টা কৰে। একমাত্ৰ সাহিত্যই যোৱা লগালে লগাব পাৰে। পাৱস্যৰ বিখ্যাত কবি হাফিজে কোনো এটা ডিভানৰ এঠাইত কোৱা মনত পৰে: প্ৰেমৰ মন্দিৰত সকলো ধৰ্মই আহি গোট খায়ঃ সাহিত্যৰ ৰৰ নামঘৰো জাতি-বৰ্ণ-সম্প্ৰদায়-নিৰ্বিশেষে সকলো মানুহৰে মিলনৰ থলী। সাম্ৰাজ্য সাগৰৰ বুৰবুৰণিৰ দৰে মাৰ যায়; ধৰ্ম-সম্প্ৰদায় কালক্ৰমত সলনি হয় বা লোপ পায়; বিজ্ঞান-

দর্শনেও সুখ শান্তি দিব নোৱাৰে। অশান্ত মানুহ সাহিত্যৰ, কাব্যৰ কাষলৈ একেবি শান্তি পাম বুলি চাপি আহে। আচাৰ-অনুষ্ঠানে আৰবি ধোৱা ধৰ্মৰ শাহটোত কাব্য আৰু সাহিত্যহে থাকেগৈ। সকলো ধৰ্ম আৰু জ্ঞান-বিজ্ঞানৰ মুখৰ অম্লান জ্যোতি সাহিত্য। মানুহৰ মুখত যদি জ্যোতিয়েই নাথাকিল, তাক জীয়া মানুহৰ মুখ বুলিব নোৱাৰি। সেই গুণে এই জীৱন্ধৰী স্যমন্তক মণিৰ সদৃশ সাহিত্য ভাংকুটা পীৰাৰ দৰে মোনাত লৈ ফুৰাবলগীয়া বস্তুও নহয়। ইয়াৰ মানদণ্ডও সদায় উচ্চ হ'ব লাগিব। মাণিক বুলি ভগা গিলাচৰ টুকুৰা বুটলি লোৱাৰ ভয়ো সহায় আছে। কেবল ভাষাৰ ওপৰত এটা স্নেহ থাকিলেই সাহিত্যও উন্নত হ'ব নোৱাৰে।

সাহিত্যাচার্য পণ্ডিত হেমচন্দ্র গোস্বামীদেৱে তাহানিয়েই তেজপুৰত বহা সাহিত্য সম্মিলনৰ সভাপতিৰ অভিভাষণত কোৱা কথা এটা উল্লেখ নকৰি নোৱাৰিলোঁ। তেখেতে কৈছিল :

"অসমীয়া মানুহৰ এটা প্রধান গুণ হৈছে তেওঁলোকৰ মাতৃভাষাৰ ওপৰত স্নেহ। এই গুণটো অসমীয়া মানুহৰ কি মতা, কি তিৰোতা, কি বুঢ়া, কি ল'ৰা সকলোৰে ভিতৰত সমান ভাবে থকা দেখা যায়। সকলো জাতিৰে নিজৰ মাতৃভাষাৰ ওপৰত স্নেহ থকাটো স্বাভাৱিক; কিন্তু অসমীয়া মানুহৰ অনুৰাগ যিমান বেছি আন কম জাতিৰহে তেনে অনুৰাগ দেখা যায়। অসমীয়া মানুহক অতি সহজে খং তোলাব খুজিলে আন একো নকৰি কেবল অসমীয়া ভাষাৰ নিন্দা কৰিবা। তেতিয়া দেখিবা ..... শান্তশিষ্ট অসমীয়া মানুহে কেনে রুদ্র মূর্ত্তি ধাৰণ কৰে।"

রুদ্র ধ্বংসৰ মূর্ত্তি, প্রলয়ৰ মূর্ত্তি। প্রলয় সহজ, সৃষ্টি সাধনা-সাপেক্ষ। অকল প্রলয়ৰ ক্ষমতা থাকিলেই নহয়, সৃষ্টিৰ ক্ষমতাও থাকিব লাগে। অসমীয়া মানুহৰ অন্তৰত ভাষাৰ প্রতি থকা গভীৰ শ্রদ্ধাক বাস্তৱ ৰূপ দিব পৰাটোহে ঘাই কথা। লগত চিন্তা আৰু কর্ম নাথাকিলে শ্রদ্ধা-অনুভূতিৰ বিশেষ মূল্য নাই।

অসমীয়া সমাজত প্রচলিত যোজোনাবোৰো পৰীক্ষা কৰি চাবলগীয়া। এইবোৰৰ ভিতৰত মানুহৰ সামাজিক বোধৰ অভাৱ, পৰৰ দুখলৈ উদাসিনতা, উচ্চাকাঙ্খাৰ অভাৱ, বিপদলৈ ভয় আদি নঞৰ্থক চৰিত্রসূচক (Negative virtue) প্রবাদ ভালেখিনি আছে; উদাহৰণ স্বৰূপে — 'কাৰ জ্বৰত কোনে পিয়ে পানী, কাৰ ভগিনী মৰে কাৰ হয় হানি?' 'বাজহুৱা কামে ফটা জালে সমান; 'গাই গোটা পেটে ভড়াল', 'দিনৰ পৰ্ব্বত বাতিৰ জুই, তাক নেখেদি থাকিবা শুই। শ্রীকৃষ্ণায় বোলোতেই তিনি চাকি তেল পোৱ।' 'বাইজৰ মুখত ভৰিদিয়া,' ইত্যাদি। এনে বহুত যোজোনা আছে। আশা কৰোঁ এই যোজোনাবোৰে অসমীয়া জাতিৰ চৰিত্রৰ বিৰুদ্ধে একো কোৱা নাই; আমাৰ মাজত থকা দুই এক লোকৰ চৰিত্র সম্পর্কেহে আমাক জনাইছে। তথাপি আমি নিজকে বিশ্লেষণ কৰাটো ভাল, কাৰণ ইয়াৰ পৰাহে মানুহ সচেতন হয়।

ঘৰ এটা থাকিলেই ঘৰ নহয়। ন গৃহং গৃহমিত্যাহুঃ। ঘৰত সুগৃহিণী থাকিলেহে ঘৰ বোলে। এটা ভাষা থাকিলেই নহয়, সেই ভাষাত সাহিত্যও থাকিব লাগে। ভাষা লেখিলে বা ক'লেই তাকে সাহিত্য নোবোলে। উচ্চ আদর্শ আৰু সৌন্দর্য্যৰ বাহন হোৱাতহে ভাষাৰ গৌৰৱ। গৰুও পক্ষীয়ে জন্মলৈয়েই বিশ্ব-ব্রহ্মাণ্ড গ্রাস কৰিবলৈ ওলাইছিল; কিন্তু বিষ্ণুৰ বাহন হোৱাত সকলো ৰক্ষা পৰিল। ভাষাকো মানুহে নিন্দাবাদ-পৈশুন্য-হিংসাৰ কাৰণে, বিদ্বেষ আৰু অশান্তি সৃষ্টিৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে। ভাষাত সৃষ্টি আৰু প্রলয় দুয়োটাৰে বীজ আছে। ভাষাৰ ব্যৱহাৰ পৱিত্র আৰু সংযত লোকৰ কাম। সৌন্দর্য্য সৃষ্টিৰ কাৰণে অদীক্ষিত লোকে ভাষাত হাত দিব নালাগে। : যেনেকৈ গুড়ি চালনীৰে চালি চালি পিঠাগুড়ি মিহি আৰু পৱিষ্কাৰ কৰে, সেইদৰে বুদ্ধিমন্তই পৱিষ্কৃত ভাষা প্রস্তুত কৰে; সেই ভাষাৰে মিত্রতা লাভ হয়, তেনে বচনাত লক্ষ্মীৰ থাপনাঃ

অসংযমে সৌন্দর্য্য সৃষ্টি কৰিব নোৱাৰে। বোমা বোলাঁই এঠাইত কৈছে বোলে বহুত নাস্তিক আৰু যুক্তিবাদীলোকে আৰু বিথ'ফেন্-ফ্লুবাৰৰ দৰে ইন্দ্রিয়পৰতন্ত্র ৰূপদক্ষয়ো ব্রহ্মচর্য্যব্রত গ্রহণ কৰাৰ কালতহে অপূর্ব্ব সৃষ্টিৰ ক্ষমতা লাভ কৰিছিল। বিখ্যাত ঔপন্যাসিক বালজাকে লিখাৰ সময়ত সন্যাসীৰ 'ভেক' পৰিধান কৰিছে বচনাৰ প্রেৰণা পাইছিল বুলি জনা যায়। বেদ-অভ্যাস আৰু কৃচ্ছ্র সাধন কৰি শাৰীৰিক জড়তা লাভ কৰা ঋষিয়ে ত্রিভুবন চঞ্চল কৰিব পৰা অনুপমা উর্ব্বশীক হেলাৰঙ্গে সৃষ্টি কৰিছিল।

সাহিত্য-কলাৰ সৃষ্টিতকৈও সৃষ্টিৰ পৱিবেশ বচনা কৰা; ভাষা-সাহিত্যৰ প্রাচীন কীর্ত্তি সংগ্রহ আৰু সংবেক্ষণ কৰা; ভাষাৰ প্রতিষ্ঠাৰ বাটত বিঘ্নি থাকিলে তাক নাশ কৰিবলৈ যত্ন কৰাটোয়েই সাহিত্য সভাৰ মূল উদ্দেশ্য। এই উদ্দেশ্য সাধনৰ কাৰণে

সাহিত্য সভাৰ সভ্যৰ সংখ্যা বৃদ্ধি কৰা আৰু আৱশ্যক মতে উপযুক্ত ঠাইত শাখা সভা স্থাপন কৰাটো আমাৰ প্ৰধান কাম। আশাকৰোঁ প্ৰতিনিধি আৰু হিতাকাঙ্খী লোকসকলে অতি সোনকালে সাহিত্য সভাৰ সভ্যৰ সংখ্যা আশী হাজাৰলৈ বঢ়াব পাৰিব। গত আদমছুমাৰিৰ ৰেপট্ মতে অসমৰ জনসংখ্যা প্ৰায় ডেড় কোটি। বহুত ঠাইত, বিশেষকৈ আওহতীয়া ঠাইত, এতিয়াও শাখা সভা স্থাপন কৰিব পৰা নাই। সাহিত্য সভাৰ সভ্য হোৱাৰ লগে লগে সকলোৰে মনলৈ অলপ দায়িত্ববোধ আহি পৰে। আমাৰ প্ৰতিনিধিসকলেও এই কথা যেন উভতি যাওঁতে বাটতে পাহৰি নাযায়।

সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ লগত থকা পুথিভড়ালটি অতি নিচলা; তাৰো কিছু মূল্যবান পুথি ইতিমধ্যে কিবা প্ৰকাৰে অনুপস্থিত। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ গুৰিৰ পৰা আজলৈকে যিবিলাক পুথিৰ কথা আমি জানো, সেই বিলাকৰ ভিতৰত যিমান পাৰি ছপা হোৱা বা নোহোৱা পুথিৰ সংগ্ৰহ এই ভড়ালত থাকিব লাগে। তাৰ উপৰিও, ভাৰতীয় আঞ্চলিক ভাষা-সাহিত্য সম্পৰ্কে প্ৰকাশ হোৱা পুথি আলোচনী ইয়াত বিচাৰিলে পাব লাগে। কোনো গবেষণাকাৰী বা অনুসন্ধিৎসু পাঠকে যদি অসমীয়া ভাষা-সাহিত্য আৰু তাৰ সম্বন্ধীয়া বিষয়ৰ পুথি-আলোচনী এই ভড়ালত নাপায়, তেন্তে সেইটো আমাৰ পক্ষে একো গৌৰৱৰ কথা নহয়। বঙ্গীয় সাহিত্য পৰিষদৰ নিচিনা অনুষ্ঠানবিলাকৰ কথাকে নকওঁ, বহুত ৰাজহুৱা আৰু ব্যক্তিগত সংগ্ৰহতো এনে ধৰণৰ পুথি-পাঁজি বিচাৰলে নিৰাশ হ'ব নালাগে। এনে স্থলত অসম সাহত্য সভাৰ দৰে এটি অনুষ্ঠানৰ কৰ্ত্তব্য কি তাক দোহাৰিবৰ আৱশ্যক নকৰে। এনে কামত ৰাষ্ট্ৰীয় আৰু কেন্দ্ৰীয় চৰকাৰ আৰু ৰাইজৰ পৰা যথেষ্ট সাহায্য নোপোৱাৰ কোনো কাৰণ দেখা নাই।

বেজবৰুৱা, বৰদলৈ, গোহাঞি বৰুৱা আদি সাহিত্যিকসকলৰ ৰচিত কিছুমান জনপ্ৰিয় পুথিৰ সস্তীয়া সংস্কৰণ পিছপৰা অঞ্চলবিলাকত আৰু দাঁতিকাষৰীয়া ঠাইত প্ৰচাৰ কৰিব পাৰিলেহে আমাৰ সাহিত্যৰ ভাল বস্তুখিনিৰ সোৱাদ সকলোৱে লব পাৰিব। বৰ্ত্তমান যিবোৰ দামী সংস্কৰণ ওলাইছে, সেইবোৰ সকলো মানুহে ঢুকি পাব নোৱাৰে। অসমীয়া সাহিত্যিকসকলৰ মূল্যৱান গ্ৰন্থ দুখীয়া মানুহেও লব পৰা হ'ব লাগে। পশ্চিম বঙ্গ চৰকাৰে ৰবীন্দ্ৰনাথৰ গ্ৰন্থৰ পোন্ধৰটা খণ্ড অতি সস্তাত দিব পৰা কথা সকলোৱে জানে। বঙ্গদেশত বসুমতী সাহিত্য মন্দিৰৰ সস্তীয়া পুথিবিলাকেহে বঙ্গ-সাহিত্য প্ৰচাৰত বিশেষ সহায় কৰিছে। আমাৰ ইয়াতো ভট্টাচাৰ্য্য, নন্দেশ্বৰ চক্ৰৱৰ্ত্তী, হৰিনাৰায়ণ দত্তবৰুৱা আদি অনুষ্ঠান আৰু ব্যক্তি উদ্যম নোহোৱা হ'লে পুৰণি সাহিত্যৰ প্ৰচাৰ অতি কম হলহেঁতেন। আধুনিক আৰু প্ৰাচীন দুয়ো বিধ সাহিত্যলৈ মানুহক আকৃষ্ট কৰা উপায় সম্পৰ্কেও আপোনাসকলে নিশ্চয় চিন্তা কৰিব। পুথিৰ স্বত্বাধিকাৰী, চৰকাৰ আৰু সাহিত্যসভা সকলোৱে লগ লাগিলেহে এই কাম সম্ভৱ হ'ব।

সাহিত্য সভা পত্ৰিকাৰ সম্পৰ্কত কোনো কোনো লোকে উপন্যাস-গল্প আদি প্ৰকাশ কৰি পত্ৰিকাখন বেচি জনপ্ৰিয় কৰিবলৈ পৰামৰ্শ দিয়ে। সাহিত্য সভা পত্ৰিকা আচলতে ভাষা-সাহিত্য, পুৰাতত্ত্ব, কলা-সংস্কৃতি বিষয়ৰ আলোচনাৰ ঠাই। গল্প-উপন্যাসৰ সহায় লৈ ইয়াক জনপ্ৰিয় কৰাৰ কথা নহয়। ৰস-সাহিত্য নথকা নিৰামিষ আলোচনীৰ পাঠকো আমাক লগা হৈছে। অসমৰ নানা ঠাইত বুৰঞ্জী, কিংবদন্তী, মঠ-মন্দিৰ আৰু পুৰণি পুথিৰ বিৱৰণ আদি সাহিত্য সভা পত্ৰিকাত প্ৰকাশ হব লাগে, ভাষা আৰু ব্যাকৰণ সম্পৰ্কীয় কথাৰ আলোচনাও ইয়াত ঠাই পাব লাগে, সাহিত্য সমালোচনাৰ কথাই নাই। অন্য উপায়ে প্ৰকাশ কৰিব নোৱাৰা পুৰণি মূল্যৱান পুথি আদিও ইয়াত প্ৰকাশ কৰিলে অনুসন্ধিৎসু পাঠকৰ উপকাৰ হয়।

কেইবাখন জিলাতো জিলা সাহিত্য পৰিষদ গঠিত হোৱা অতি সন্তোষৰ কথা। ইয়াৰ পৰা শাখা সভাবিলাক লগ লাগি সাহিত্য সভাৰ উদ্দেশ্য পূৰণত আগ বাঢ়িবলৈ সুবিধা হয়। কামৰূপ সাহিত্য পৰিষদে ইতিমধ্যে এখন আলোচনী প্ৰকাশ কৰিছে আৰু ভালেখিনি লাগতিয়ল কাম হাতত লৈছে বুলি গম পাইছোঁ। শাখা সভাবিলাকৰ ভিতৰতো বহুতেই সভা সমিতি পাতি, পুথি ভড়াল স্থাপন কৰি ৰাইজৰ মাজত সাহিত্যৰ প্ৰতি শ্ৰদ্ধা বঢ়োৱাত সহায় কৰিছে। ডিফু সাহিত্য সভাই কাৰ্ব্বি সমাজত অনেক কাল মুখে মুখে চলি অহা কাৰ্ব্বি জন-জীবনৰ পটভূমিত ৰচিত ৰামায়ণ-গীত (সীতা কুঁৱৰীৰ গীত) ভালেখিনি সংগ্ৰহ কৰি অসমীয়া ভাঙনীৰে সৈতে প্ৰকাশ কৰিছে। গীতখিনি অসমীয়ালৈ অনুবাদ আৰু সম্পাদনা কৰিছে আমাৰ প্ৰাক্তন ছাত্ৰ, বৰ্ত্তমান ডিফু কলেজৰ অসমীয়াৰ অধ্যাপক শ্ৰীবংৰং টেৰাঙে। এই পুথি প্ৰচাৰ হ'লে ৰামায়ণৰ লগত লোকগীতৰ সম্পৰ্ক আৰু

ভাৰতৰ ভিতৰে বাহিৰে ৰামায়ণী কথাৰ বিভিন্ন ৰূপ সম্বন্ধে অধ্যয়নৰ সুবিধা হ'ব।

সাহিত্যাচার্য্য হেমচন্দ্র গোস্বামীদেৱে আজি প্রায় দুকুৰি পোন্ধৰ বছৰৰ আগতে অশেষ পৰিশ্রম কৰি অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ ৰচনাৰ চানেকি সংগ্রহ আৰু সম্পাদন কৰে। তেখেতে দানী ভোলানাথ ৰক্ষৰাৰ অর্থ-সাহায্য গোটাই কলিকতা বিশ্ববিদ্যালয়ৰ হতুৱাই অসমীয়া সাহিত্যৰ চানেকি প্রকাশ কৰোৱায়। ইতিমধ্যে এই চানেকি গ্রন্থৰ পৰিবর্ধিত সংস্কৰণৰো আৱশ্যক হৈ পৰিছে। সাহিত্যাচার্য্য গৰাকীৰ জন্ম শতবার্ষিকীৰ সময়তেই এই কথাটো ওলাইছিল। আমাৰ দুখন বিশ্ববিদ্যালয়ৰ ভিতৰৰ কোনো এখনে যদি এই অতি আৱশ্যকীয় গ্রন্থ প্রকাশ কৰিবলৈ লৈছে, তেন্তে সাহিত্য সভায়ো এই সম্পর্কে চিন্তা কৰা উচিত। অসমীয়া সহিত্যৰ বিভিন্ন ধাৰাৰ আৰু বিভিন্ন যুগৰ অধ্যয়নৰ পক্ষে সাহিত্যৰ চানেকি যে অপৰিহার্য। এই কথা সকলোৱে বুজে।

আমাৰ ভাষাত কলা আৰু বিজ্ঞানৰ (Science & Humanities) বিভিন্ন বিষয়ৰ সৰল ভাষাত লিখা সৰু সৰু পুথিৰ প্রয়োজনীয়তাও অনেকেই অনুভৱ কৰিছে। মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰিবলৈ সুবিধা নোপোৱা লোকেও নানা বিষয়ৰ জ্ঞান লাভ কৰিবলৈ ইচ্ছা কৰে। বিশ্বভাৰতীয়ে প্রকাশ কৰা 'বিশ্ববিদ্যা সংগ্রহ' আৰু 'লোকশিক্ষা গ্রন্থমালা' আৰু ইংৰাজী হ'ম য়ুনিভার্ছিটি লাইব্রেৰী গ্রন্থমালাৰ আর্হিত কিছুমান পুথি অভিজ্ঞ লোকৰ হতুৱাই ৰচনা কৰাই প্রকাশ কৰাও বর্ত্তমান সময়ে বিচাৰিছে। সাহিত্য সভাই ইতিমধ্যে এনে ধৰণৰ দুই-এখন পুথি উলিয়াইছে যদিও সেয়ে যথেষ্ট নহয়। এই কামৰ কাৰণে এটা সুকীয়া পুঁজিৰ আৱশ্যক। সুপৰিকল্পিত ভাৱে এনে কাম আন কোনো ব্যক্তি বা অনুষ্ঠানে এতিয়ালৈকে কৰা ধাম পোৱা নাই। শিক্ষিত গণতান্ত্রিক সমাজত এনে গ্রন্থ প্রচাৰৰ আৱশ্যকতা আমি সকলোৱে স্বীকাৰ কৰোঁ।

হাতে লিখা পুৰণি পুথি সংগ্রহ কৰাটোও সাহিত্য সভাৰ এটা প্রধান কাম। এই বিষয়ে পূর্বীয় সভাপতি সকলেও সদায় কৈ আহিছে। কামৰূপ অনুসন্ধান সমিতি আৰু পুৰাতত্ত্ব বিভাগত ভালেখিনি পুথি আছে। শ্রীদণ্ডীৰাম দত্ত ডাঙৰীয়ায়ো বহু পৰিশ্রম কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতত বহু পুথি গোটাই দিছে। নলবাৰী সংস্কৃত কলেজ, প্রাচ্যভাৰতী, ডিব্রুগড় বিশ্ববিদ্যালয়, ৰৰদোৱা বৈষ্ণৱ বিশ্ববিদ্যালয়ৰ গবেষণা কেন্দ্রতো ভালেখিনি পুৰণি পুথি আছে। ইয়াৰ উপৰিও কোনো কোনো শিক্ষানুষ্ঠান আৰু সত্রতো অসংখ্য পুথি আছে। অসমৰ বাহিৰতো অনেক অসমীয়া পুৰণি পুথি আছে। বহুত দিনৰ আগতে পণ্ডিত প্রতাপচন্দ্র গোস্বামীদেৱে ৰংপুৰ, কোচবিহাৰ আদিলৈ গৈ তাত থকা পুৰণি অসমীয়া পুথিৰ বিৱৰণ এটা সাহিত্য সভাৰ হাতত দিছিল। পুৰণি পুথিৰ বিষয়টোৰ সম্পর্কে কাম কৰিবলৈ বিশ্ববিদ্যালয়, সাহিত্য সভা, আন আন অনুষ্ঠানৰ লগতে চৰকাৰেও দিহা কৰাটো অতি পলমহে হৈ গৈছে। অপ্রকাশিত পুথিবিলাকৰ বিষয়-বস্তু, গ্রন্থকাৰ আদিৰ বিষয়ে অনেক লোকেই জানিবলৈ আগ্রহ কৰে। সাহিত্য সভাৰ পত্রিকাৰ যোগেদিও এইবিলাক কথা প্রকাশ কৰিব পাৰি। কুঁৱাৰ তলীত অমৃতজল থাকিলেও পিয়াহত খাবলৈ নাপালে তাৰ সার্থকতা একো নাই। অসমৰ বাহিৰেও যিবোৰ অসমীয়া হাতেলিখা পুথি আছে সেইবোৰৰ অনুলিপি কৰা বা সংগ্রহ কৰা কাম চৰকাৰৰ ফালৰ পৰা কৰিব পাৰিলে সহজ হয়। এই পুৰণি পুথিৰ কথা দোহাৰিবৰ উদ্দেশ্য এয়ে যে আমাৰ ভ্রান্ত ভক্তিৰ দোষত, জলবায়ুৰ গুণত বা নানা দুর্ঘটনাৰ হেতুকে, বহুত বহুমূলীয়া বস্তু নষ্ট হৈছে আৰু নষ্ট হ'ৰ উপক্রম হৈছে। অথচ, এইবোৰেই আমাৰ সাহিত্য-সংস্কৃতিৰ বুৰঞ্জী ৰচনাৰ ঘাই সমল। এইবিলাকৰ অধ্যয়ন হ'লেহে যি কোনো পণ্ডিতে যতদূৰ সম্ভৱ সম্পূর্ণ বুৰঞ্জী প্রস্তুত কৰিব পাৰিব। সাহিত্য সভাৰ সভ্যসকলৰ এই সম্পর্কত থকা দায়িত্বৰ কথা সোঁৱৰাই দিব লগা হৈছে। বছৰি সাহিত্য সভা পাতি 'লগভাত' খাবলৈ গোটখোৱা এই অপযশৰ চেকাটো গুচাব লাগিব। আমাৰ সাহিত্য-সংস্কৃতিৰ বুৰঞ্জী অসম্পূর্ণ হৈ থাকিবলৈ দিব নোৱাৰি। দুর্বল উপাদানৰ ওপৰত নির্ভৰ কৰি বুৰঞ্জী লিখা কণাৰ কান্ধত খোৱা উঠি ৰাজসভালৈ যোৱাৰ দৰে কথা। অসমৰ সাহিত্যৰ বুৰঞ্জী লিখকে আমাৰ কেউফালে থকা ওচৰ চুবুৰীয়া ৰাজ্যৰ সাহিত্য সম্পর্কেও আলোচনা কৰিব লাগিব; কিয়নো পূর্ব ভাৰতৰ সাহিত্য এটা সাহিত্য— মিথিলা কামৰূপৰ পৰা কেউফালে বিয়পি পৰিছে।

আনহাতে অসমীয়া সাহিত্য বিৰাট ভাৰতীয় সাহিত্যৰ পদুম ফুলটিৰ এটা পাহি; ভাৰতীয় সাহিত্যৰ সামগ্রিক বোধ হলেহে অসমীয়া সাহিত্যৰ প্রকৃত স্থান নির্ণয় কৰিব পাৰি। ভাৰতীয় ভাষাত যিদৰে দ্রাবিড়, নিষাদ, কিৰাত, আর্য্য উপাদান সোমাই আছে, ভাৰতীয় সাহিত্যতো সংস্কৃত, আঞ্চলিক আৰু বহিৰাগত অর্থাৎ আৰবি-ফার্ছি আৰু ইংৰাজী ধাৰা মিল হৈছে।

ভাৰতীয় সাহিত্যৰ এই কেউটা ধাৰা অসমীয়া সাহিত্যতো বিদ্যমান।

সংস্কৃত সাহিত্য আৰু ইয়াৰ লগৰীয়া সভ্যতা সোমোৱাৰ আগৰে পৰাই ভাৰতৰ বিভিন্ন অঞ্চলত নিজৰ নিজৰ সাহিত্য আছিল। সংস্কৃত সাহিত্য বুলিলে লগতে পালি আৰু প্ৰাকৃতো বুজিব লাগে। বলৱন্ত সংস্কৃত সাহিত্যৰ প্ৰভাৱত আঞ্চলিক ভাষা-সাহিত্যৰ পৰিবৰ্ত্তন ঘটিল আৰু আঞ্চলিক ভাষা-সাহিত্যয়ো সেইদৰে সংস্কৃত-সাহিত্যৰ মাজত সোমাবলৈ পালে। ইছলাম ভাৰতলৈ অহাৰ লগতে ফাৰ্ছী আৰবীৰ মাধ্যমত ছুফীবাদী চিন্তাৰ ধাৰাও ভাৰতীয় সাহিত্যত লগ লাগিল। শেষত ইংৰাজী সাহিত্যৰ যোগেদি পশ্চিমীয়া সংস্পৰ্শই ভাৰতীয় সাহিত্যলৈ নতুন দৃষ্টি আৰু ৰূপ আনি ভাৰতীয় সাহিত্যক বৰ্ত্তমান অৱস্থাত থৈছে।

আঞ্চলিক বিভিন্নতা আৰু বৈশিষ্ট্য থাকিলেও ভাৰতৰ সকলো প্ৰাদেশিক সাহিত্য 'সূত্ৰে মণিগণা ইব'; এই সূত্ৰ হ'ল ৰামায়ণ, মহাভাৰত, পু�ৰাণ আৰু দৰ্শন। সংস্কৃতত ৰচিত এই কাব্য-কাহিনী সকলো ভাৰতীয় ভাষালৈ ক্ৰমে অনুবাদ হ'বলৈ ধৰিলে আৰু এইবিলাকক অৱলম্বন কৰি গীত-নাট পদ-পাঁচালীৰ সৃষ্টি হ'ল। এঠাইৰ মানুহে আন এঠাইৰ সাহিত্য অলপো আচহুৱা যেন নাপায় কিয়নো সকলোৰে গুৰি একেটাই।

ভাৰতীয় সাহিত্যৰ ভিতৰ সোমাবলৈ হলে সংস্কৃত সাহিত্যৰ জ্ঞান আৰু সংস্কৃতত থকা চিন্তাধাৰাৰ লগত পৰিচিত হোৱাৰ বিশেষ প্ৰয়োজন। দক্ষিণ ভাৰতৰ সাহিত্যও সংস্কৃতত ভৰ-ভাষাৰে পুৰিপুষ্ট; সেই অঞ্চলৰ সাহিত্যৰ জ্ঞান লাভ কৰিবলৈকো সংস্কৃতৰ প্ৰয়োজন। দক্ষিণ অঞ্চলতহে সংস্কৃতৰ চৰ্চা আৰু সাধনা প্ৰবল। অদ্বৈত দৰ্শন আৰু ভক্তি শাস্ত্ৰও দক্ষিণাত্যৰ অৱদানহে। আঞ্চলিক বৈশিষ্ট্য থাকিলেও ভাৰতৰ সকলো সাহিত্যইটো সাহিত্য— এই কথা পাহৰিলে আমি আমাৰ সাহিত্যৰ মূলকে চিন্তিব নোৱাৰিম। অসমৰ সন্ত কবি সকলেও সদায় নিজকে ভাৰতীয় বুলিহে কৈ আহিছেঃ ধন্য নৰতনু ভাল, ধন্য ধন্য ভাৰতবৰিষেঃ

ভাৰতৰ প্ৰাচীনতম বাঙ্ময় বৈদিক সংহিতাৰ প্ৰতীক, উপমা, ছন্দ পৰৱৰ্ত্তী সাহিত্যলৈ নামি আহিছে। আৰ্থনৈতিক ফালৰ পৰা পৰা চালে বৈদিক যুগৰ লোক গোপাল অৱস্থাত (Pastoral); কিন্তু আধ্যাত্মিক পথত তেওঁবিলাক ভালেখিনি আগবাঢ়িছিল। ধ্যান-ধাৰণাৰ সহায়ত তেওঁবিলাকে দৃশ্যমান জগতৰ মূলত লুকাই থকা অদৃশ্য সত্য বস্তুক দেখা পাইছিল। এই চিৰ পৰিবৰ্ত্তনশীল, বাক্য-মনে ঢুকি নোপোৱা আধ্যাত্মিক অভিজ্ঞতাবিলাক আৰু অতি সূক্ষ্ম তত্ত্ববোৰ বুজাবৰ কাৰণে দ্ৰষ্টাসকলে ইংগিতপূৰ্ণ পৰোক্ষ ভাষা ব্যবহাৰ কৰিছিল। ইন্দ্ৰ, অগ্নি, বৰুণ আদি শব্দবোৰ এনে ইংগিতপূৰ্ণ প্ৰতীক। এই যুগৰ লোকসকলৰ দীৰ্ঘায়ু লাভ, শত্ৰুজয়, ঐহিক সম্পদ লাভৰ আগ্ৰহ তেওঁলোকৰ জীৱনধৰ্মী সাহিত্যত স্পষ্টভাৱে প্ৰকাশ পাইছে। ঐহিক জীৱনৰ প্ৰতি অত্যন্ত আকাঙ্খা থকা স্বত্বেও তেওঁলোকৰ মনত বিশ্ব-ব্ৰহ্মাণ্ড আৰু সৃষ্টিৰ ৰহস্য সম্পৰ্কে নানা প্ৰশ্নৰ উদয় হৈছিলঃ

এই যে বিচিত্ৰ সৃষ্টি ক'ৰা পৰা আহিল, কাৰ পৰা আহিল, কোনোবাই সৃষ্টি কৰিছেই নে কৰাই নাই—এইবোৰ কথা যিজনা পৰমধামত আছে তেৱেঁইহে জানে; অথবা তেৱোঁ নাজানে।

(ঋগ্বেদ ১০ : ১২৯ : ৭)

এই চিন্তাধাৰাৰ ক্ৰমবিকাশ অনুসৰণ কৰিলে দেখা যায় যে ঋগ্বেদৰ শেষৰ ফালে বিশ্ব-জগৎ আৰৰি থকা বিৰাট পুৰুষৰ কল্পনা কৰা হৈছে — যি বিৰাট পুৰুষৰ বিশ্ব-প্ৰহ্মাণ্ডক কেউফালে আকোৱালি লৈয়ো শেষ নহয় — 'দহ আঙ্গুল' বাঢ়িহে থাকে। বেদৰ এই সহস্ৰশীৰ্ষা পুৰুষ সৰ্বভূতৰ অন্তৰাত্মা ব্ৰহ্ম বা ভূতাম পৰিণত হৈছে — এই সৰ্বব্যাপী ব্ৰহ্মৰ উপলব্ধিয়েই উপনিষদৰ, বেদান্তৰ, গীতাৰ মূল কথাঃ তুমি সকেলোতে প্ৰবিষ্ট হৈ আছাঃ গতিকে আনৰ উপকাৰ আৰু হানি নোহোৱাকৈ ভোগ কৰাঃ কাৰণ আনৰ হিংসা মানে নিজৰো হানি। ত্যাগ আৰু ভোগৰ সমন্বয়েই ভাৰতীয় শিক্ষা সাধনাৰ মূলমন্ত্ৰঃ ইমাং বাচং কল্যাণীমাবদানি জনেভ্যঃ এই কল্যাণৰ বাণী জনসমাজত প্ৰচাৰ হওক। ইয়াকেই বেদ-উপনিষদ, পুৰাণ-ভাৰত, কাব্য-কাহিনী, গীত-নাটৰ মাজেদি বেদৰ ঋষিসকলৰ পৰা আৰম্ভ কৰি বুদ্ধ, শঙ্কৰাচাৰ্য্য, কালিদাস, কবিৰ, শঙ্কৰ, নানক, চৈতন্য, মীৰাবাঈ, ৰামকৃষ্ণ, গান্ধী, ৰবীন্দ্ৰ এইসকলোৱে জীৱন আৰু বাণীৰ যোগেদি প্ৰচাৰ কৰি আহিছে। মাত্ৰ কোনো সময়ত নীতিৰ ওপৰত, কোনো সময়ত আকৌ কান্তিৰ ওপৰত গুৰুত্ব দিছে। ভাৰতত কবিসকলেই সন্ত, সন্তসকলেই কবি। ভাৰতৰ সাহিত্যবুৰঞ্জীত দেখা যায় ধৰ্ম-বিষয়ক সাহিত্যই বিশেষ গৌৰৱৰ ঠাই আধিকাৰ কৰি আহিছে। উপনিষদ, গীতা, ভাগৱত, কীৰ্ত্তন কাব্য নে ধৰ্ম গ্ৰন্থ?

গুপ্তযুগ ভাৰতৰ বুৰঞ্জীৰ সোণালী যুগ। ব্যৱসায়-বাণিজ্যৰ উন্নতিৰফলস্বৰূপে হোৱা সমৃদ্ধিৰ গুণত মানুহৰ জীৱন-ধাৰণৰ মান বৃদ্ধি হ'ল আৰু নগৰীয়া জীৱনত সাংস্কৃতিক উন্নয়নৰ পয়োভৰদেখা গ'ল । দেশৰ স্বাধীনতা, শান্তি-সমৃদ্ধি, ধৰ্ম সম্বন্ধীয় সহিষ্ণুতাৰ লগে লগে মানৱিকবাদী (Secular) সাহিত্যৰ বিকাশ ঘটে। কালিদাস এই যুগৰ প্ৰতিনিধি।

গুপ্ত যুগৰ পাছৰ ভাৰতৰ জীৱন আৰু ইতিহাসত অৱনতি লক্ষ্য কৰিব পাৰি। কালিদাসে বৰ্ণনা কৰা ৰঘু-বংশৰ অৱনতি আৰু পতনৰ কল্পনাই বাস্তৱ ৰূপ ললে। আঞ্চলিক ৰাজ্যবিলাকৰ মাজত সংহতিৰ অভাৱ হোৱাত আৰু ফলত বিদেশী আক্ৰমণকাৰীক প্ৰতিৰোধ কৰাৰ শক্তি লোপ পোৱাত স্বাধীনতা হেৰায়। পৰাধীনতা সাধাৰণতে নৈতিক শক্তি-বিকাশৰ, অনুকূল নহয়। ইয়াৰ পৰা মানুহ নিৰাশাবাদী, ভীৰু হয়, মানুহৰ আত্মবিশ্বাস নোহোৱা হয়, বৌদ্ধিক চেতনাই জড়তা পায়। আধ্যাত্মিক বলৰ অকণমান অৱশেষ আছিল গুণেহে আমাৰ মানুহে যোৱা কেই শতাব্দীমান কোনোমতে অস্তিত্বটো ৰক্ষা কৰিব পাৰিলে। তুৰ্কীবিলাকৰ লগত হোৱা সংঘাতৰ প্ৰতিক্ৰিয়া স্বৰূপে এই নিৰাশা আৰু অন্ধকাৰৰ যুগতো ভাৰতীয় আঞ্চলিক স্বৰূপে এই নিৰাশা আৰু অন্ধকাৰৰ যুগতো ভাৰতীয় আঞ্চলিক ভাষাবিলাকৰ এটা জাগৰণ আহিল। এই জাগৰণ ভক্তি-ধৰ্ম প্ৰচাৰ অৱলম্বন কৰি। এই সাহিত্যই এটা পৰাজিত, পৰাধীন জাতিৰ হতাশাৰ মাজেদি মানসিক শান্তি লভিবৰ সুন্দৰ উপায় দিয়ে।

প্ৰাচীন ভাৰতীয় হিন্দুবিলাকৰ সংসাৰৰ প্ৰতি উদাসী আৰু কেৱল ভৱ-বন্ধনৰ পৰা মুক্তিৰ প্ৰয়াসী – এই বুলি মানুহৰ এটা ভুল ধাৰণা আছে। কালিদাসৰ কাব্যই এই ধাৰণা দূৰ কৰে। ধৰ্ম-অৰ্থ-কাম-মোক্ষ, নৈতিক-বৈষয়িক-নান্দনিক-আধ্যাত্মিক এই সকলোৰে সমন্বয়ৰ আদৰ্শ কালিদাসে কাব্যৰ ৰূপত ডাঙি ধৰিছে। কালিদাস শিৱৰ ভক্ত, তেওঁৰ মতে মানুহৰ সকলো কাৰ্য্যৰ উদ্দেশ্য শিৱ অৰ্থাৎ মঙ্গল। কাব্য অশিৱৰ বিৰোধী। সৌন্দৰ্য্য সাধনাৰ যোগেদিয়েই কালিদাসৰ মঙ্গলৰ সাধনা।

কালিদাসৰ পৰৱৰ্ত্তী যুগত বেলেগ আদৰ্শ দেখা পাওঁ। সংস্কৃত সাহিত্যৰ অৱনতি আৰু বিদেশী আক্ৰমণৰ প্ৰতিক্ৰিয়াৰূপে জন্ম লোৱা আঞ্চলিক ভক্তি সাহিত্যত কেৱল স্তুতিগীতৰহে প্ৰাধান্য। সমগ্ৰ ভক্তি সাহিত্য সংসাৰ-কৰাগাৰৰ পৰা মুক্তি লাভৰ প্ৰাৰ্থনা। ই এক প্ৰকাৰৰ পলায়নবাদী সাহিত্য; কেৱল ব্যক্তিগত কৈবল্যৰ আকাঙ্খা, সমাজৰ বা জাতিৰ কাৰণে চিন্তা নাই – কালিদাসে ভৰতবাক্যত প্ৰকাশ কৰা ভাৱৰ লগত অলপো মিল নেদেখি। ভক্তি সাহিত্যত গভীৰতা আছে, কিন্তু ই একমাত্ৰিক বুলি মানুহে কয়। স্থাৱৰ-জঙ্গম-কীট পতঙ্গৰ, জীৱ-জন্তু সকলোৰে আত্মাৰ ঐক্য স্বীকাৰ কৰা হৈছে হয়, কিন্তু এইটো গৌণ। ইয়াত শৰণাগতিৰ কথা আছে, কিন্তু অৰ্জুন নাই।

তথাপিও ভক্তি সাহিত্যই আপামৰ জনসাধাৰণক আনন্দ আৰু আশ্বাস যোগাই আহিছে। ভক্ত-কবিসকলে নিজকে শ্ৰীকৃষ্ণৰ কিঙ্কৰ, মাতা-পিতা অথবা প্ৰেয়সী ৰূপে কল্পনা কৰি নিজৰ মনৰ অনুভৱ গীত কাব্যৰ মাজেদি প্ৰকাশ কৰিছে। অসমৰ বৈষ্ণৱ সাহিত্যত দাস্য আৰু বাৎসল্যভাৱহে প্ৰধান। অদ্যাপিও জনসমাজত বৈষ্ণৱ সাহিত্যৰ ঠাই আন একোৰেই অধিকাৰ কৰিব পৰা নাই। সুললিত ছন্দৰ মাজেদি ব্যক্ত হোৱা ভক্তি সাহিত্যৰ ফালে জন-মন আকৃষ্টঃ চুম্বকৰ কাছে লোহা ভ্ৰমে যেন থানঃ সন্ত কবিসকলে ৰামায়ণ-মহাভাৰতৰ দৰে প্ৰাচীন কাব্যতো ভক্তিৰস মিহলাই দি নতুন স্বাদৰ নতুন কাব্য পৰিবেশন কৰিছে। তুলসী দাসৰ 'ৰামচৰিত মানস' ইয়াৰ উৎকৃষ্ট পৰ্যন্তৰ। কোটি কোটি লোকে মন্ত্ৰমুগ্ধৰ দৰে ৰামচৰিত আজিও শুনে। কীৰ্ত্তনৰ পদ যিদৰে অসমীয়া মানুহৰ মুখে মুখে, তুলসী দাসৰ বাক্যও উত্তৰ ভাৰতৰ মানুহৰ কথাই কথাই শুনি। বহিৰাগতৰ হেঁচাৰ পৰা ভাৰতীয় সংস্কৃতিক ৰক্ষা কৰাত তুলসী দাস আৰু আন আন সন্ত কবি সকলৰ এক প্ৰধান কৃতিত্ব। মহাৰাষ্ট্ৰত তুকাৰামৰ অভঙ্গসমূহ, গীতাৰ জ্ঞানেশ্বৰী ব্যাখ্যা; তামিলত আলৱাৰ বা আজৱাৰ সকলৰ ভক্তিগীতেও এই কাৰ্য্যকে সম্পন্ন কৰিছিল। 'তিৰুপ্পাবৈ' গীতিকাব্যত আন্দাল নামৰ সাধিকা বৈষ্ণৱ সাহিত্যত কৃষ্ণ-গোপী প্ৰেমৰ আদি কবি; ইয়াৰ প্ৰভাৱ উত্তৰ ভাৰতৰ বৈষ্ণৱ কাব্যতো সোনকালে বিয়পি পৰে।

যোৱা প্ৰায় আঠশ বছৰৰ কাব্য-সাহিত্যৰ মূলত আছে অনুভূতি আৰু হৃদয়; মন আৰু মস্তিষ্ক নহয়। অৱশ্যে এইটোও ঠিক যে চিন্তা আৰু অনুভূতি দুয়োটা পৰস্পৰে সম্পৃক্ত। আচল কথা হ'ল, কাব্যত এইবিনি কালৰ অনুভূতিৰ বাজত্ব, চিন্তাভাৱ তলতীয়া। অনুভূতি-প্ৰধান ভক্তিধৰ্মৰ সাহিত্যই সেইগুণে জাতীয় চৰিত্ৰতো কিছু প্ৰভাৱ নেপেলোৱাকৈ থকা নাই। বাস্তৱ

জীৱনৰ প্ৰতি উদাসীনতা ইয়াৰ ফল, আৰু বৰ্ত্তমান কালতো ইয়াৰ শক্তি কমা নাই বুলি কব পাৰি।

কালিদাসৰ কাব্যত, গ্ৰীক ট্ৰেজেডিত, ডাণ্টেৰ কাব্যত, মঁটাই আৰু ছেক্‌ছপীয়েৰৰ ৰচনাত, গ্যেটে আৰু কিছুপৰিমাণে ৱাৰ্ডছ্ৱাৰ্থ আৰু ব্ৰেকৰ ৰচনাতো চিন্তাৰ উপাদান আছে; কিন্তু পৰৱৰ্ত্তীকালৰ ৰোমাণ্টিক্ কবিসকলৰ কাব্যত তৰল অনুভূতিৰহে প্ৰাধান্য।

গভীৰ আনন্দ আৰু শোক, মৃত্যু আৰু প্ৰণয় এইবোৰেই সকলো যুগতে কাব্যৰ মূল কথা, এইবোৰেই কাব্যৰ চিৰন্তন বিষয়। বুৰঞ্জীত কেতিয়াবা দেখা যায় বহু সংখ্যক লোকক কোনো ধৰ্ম সম্বন্ধীয় আন্দোলনে টানি আনিছে। এই আন্দোলনবিলাকৰ প্ৰভাৱ দীৰ্ঘকাল স্থায়ী আৰু ইয়াৰ চিন্ কাব্য-সাহিত্যত ৰৈ যায়। খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ আৰম্ভনীতো এই ধৰ্মৰ গভীৰ আৰু বিস্তৃত প্ৰভাৱ গ্ৰীক আৰু লেটিন ভট্টিমা গীতত দেখা যায়।

ভাৰতৰ আঞ্চলিক ভক্তি-ধৰ্মবিলাকৰ ভিতৰত শিখসকলৰ মাজত প্ৰতিৰোধ শক্তিৰোধ শক্তি আৰু আত্ম-প্ৰতিষ্ঠাৰ ভাব আছিল। সমৰ্থ ৰামদাসৰ 'দাসবোধ' নামে গ্ৰন্থ এই সম্পৰ্কত উল্লেখযোগ্য। ঈশ্বৰত অটল বিশ্বাস ৰাখি নিজৰ কৰ্ত্তব্য কাম কৰা আৰু সামাজিক আৰু আধ্যাত্মিক উন্নতিৰ কাৰণে জীৱনক প্ৰস্তুত কৰাই তেওঁৰ শিক্ষা। ৰামদাসে দেশৰ ল'ৰাবিলাকক গোটাই ধৰ্ম আৰু সমাজৰ সেৱাব্ৰতী সংঘ সংগঠন কৰিছিল। ৰামদাস ধৰ্ম শিক্ষকআৰু সমাজ-নায়ক দুয়োটাই আছিল। ৰামদাসৰ শিষ্য শিৱাজীৰ গাত তেওঁৰ গুৰুৰ প্ৰতিভাৰ পোহৰ পৰিছিল। বৈষ্ণৱ ধৰ্মই অসমীয়াকো বিদেশীৰ আক্ৰমণ কেইবাবাৰো ব্যৰ্থ কৰিবলৈ সমৰ্থ কৰিছিলনে, এইটো কথাও চিন্তা কৰিবলগীয়া। ভক্তিধৰ্মই বহুত মানুহক নিষ্ক্ৰিয় কৰিলেও কিছুসংখ্যক লোকক যে সবল আৰু সক্ৰিয়ও কৰিছিল মহাৰাষ্ট্ৰী আৰু শিখবিলাকেই তাৰ প্ৰমাণ; অসমীয়া মানুহো।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আৰম্ভতে মহাযানী বৌদ্ধ ধৰ্ম আৰু নাথ পন্থৰ লগত সম্পৰ্ক থকা সহজযানৰ প্ৰহেলিকাময় ধৰ্মগীত সমূহক চৰ্যাগীত বোলে। এই পন্থৰ আচাৰ-অনুষ্ঠান আৰু দৰ্শন প্ৰাক্-আৰ্য যেন লাগে। এই গীতবোৰ সাহিত্যতকৈও ধৰ্ম আৰু ভাষাতত্ত্বৰ অধ্যয়নৰ কাৰণেহে বেচি মূল্যবান্। অসমীয়া, বঙ্গালী উৰিয়া, মৈথিলী, হিন্দী সকলোৱে ইয়াক নিজৰ বুলি দাবী কৰিছে; আমি আমাৰ অসমীয়াৰ বস্তু লিয়েই কওঁ। ইয়াৰ বহুত শব্দ, বাক্য এতিয়াও অসমীয়া ভাষাত প্ৰচলিত। আমাৰ জৰা-ফুকা মন্ত্ৰ কিছুমানত চৰ্যাগীতৰ শব্দ আৰু বাক্যাংশ প্ৰক্ষিপ্ত হৈ আছে। উদাহৰণ স্বৰূপেঃ

মন্ত্ৰ	চৰ্যা
হচং বুধা হচং দুলি দুহি ভগৱন্ত.....	দুলি দুহি পিঠা ধৰণ ন জাই
শুন শুন ব্যাধি আছিলি মোহে	এতকাল হউঁ আছিল স্ব মোহেঁ
চিঅ ৰাম চিঅ চিঅ ব্যাধিগণ	এবে চীঅ-ৰাঅ মকু নঠা।

ৰাজহুৱাকৈ বৌদ্ধধৰ্ম অসমত প্ৰচলিত নাছিল যদিও ইয়াত ভিতৰে ভিতৰে সহজপন্থী আৰু নাথপন্থীৰ লোক আছিল. আৰু তেওঁলোকৰ দ্বাৰাই কিছুমান মন্ত্ৰ ৰচিত হৈছিল বুলি ধাৰণা হয়। কেইজনমান সিদ্ধ অসমৰ মানুহ, তেওঁলোকৰ ৰচিত গীত নিশ্চয় অসমত প্ৰচলিত হৈছিল। এতিয়াও ক'ৰবাত অসমত প্ৰচলিত চৰ্যাগীত কিছু ওলাব পাৰে বুলি বিশ্বাস। পুথি থাকিলেও মানুহে আনক দিব বা কব নোখোজে। নেপালত থকা মূলপুথিও চৰ্যাৰ অসমীয়া পণ্ডিতে নিজ গৈ চাই-চিতি আহিলে ভাল। সেই পুথিৰ 'ৰ'বোৰ তলত ফুট্ দিয়া নহয়, পেট-ঢকা। অসমীয়া সংগীতৰ বুৰঞ্জীৰ কাৰণেও চৰ্যা পদৰ অধ্যয়ন আৱশ্যকীয়।

সমাজত বহু যুগৰ সঞ্চিত অভিজ্ঞতাৰ আদৰ আছে। জীৱন যাপনৰ নানা উপদেশ, কৃষিৰ কথা, বতৰাৰ জ্ঞান (weather wisdom) মানৱ-চৰিত্ৰ আদি জানিবলগীয়া কথা পদ্যছন্দত ৰচিত আৰু মানুহৰ মুখে মুখে বাগৰি আহিছে। ডাকৰ বচনত বেলেগ বেলেগ সময়ত বেলেগ বেলেগ লোকে কোৱা কথা থুপ খাই আছে। ডাক শব্দটো তিব্বতী শব্দৰ পৰা (গদ্‌গ্) অহা বুলি কয়। অর্থ-জ্ঞানী, সাধক। জ্ঞানী লোকক ৰজাই ডাক উপাধি দিয়া উদাহৰণ আছে। লেহিডঙৰাত তেনে এজন জ্ঞানী মানুহ আছিল বোধহয় — তেওঁ এনেবোৰ জ্ঞানৰ কথা গোটাইছিল। গোটেই পৃথিৰীতে এনে ভণিতা প্ৰচলিত আছে ঃ

অসমীয়া

উদয়ে সিন্দুৰ পশ্চিমে কালি । তেবেসে হৈব ৰবিষণ ভালি।

ইংৰাজী

Red in the morning / Is the shepherd's warning;
Red at night / Is the shepherd's delight.

অসমীয়া

কাষত কলসী নদীক যাই। তলমুণ্ড কৰি কাকো নচাই ।।
আৰ দৃষ্টি কৰি হাসিয়া চাই । অবসৰ পাইলে বাজক ধাই ।।
অল্প কৰি লয় ওৰণী । ডাকে বোলে সেই দুৰ্জনী

প্ৰাকৃত

হসি অং অদিট্‌ঠ দন্তং ভমিঅ অণিক্কান্তং দেহলী-দেসং।
দিট্‌ঠ মণুক্‌খিত্ত-মুহং এসো মগ্‌গো কুল-বহূণং।

[কুলবধূসকলৰ নিয়ম এই — তেওঁলোকে দাঁত নেদেখুৱাকৈ হাঁহিব, দুৱাৰ-দলীৰ বাহিৰত নুফুৰিব, মুৰ নডঙাকৈয়ে চাব -- (গাথা সপ্তশতী)]

হাত বাগৰা মুদ্ৰাৰ দৰে ডাকৰ বচনৰ পুৰণি গঢ় লোপ পাই আহিছে — দিনে দিনে নতুন কথা যোগ হৈছে। চৰ্যাৰ ভাঁষা সেই পুথিখন নেপালৰ পুথি-ভড়ালত থকা বাবেহে বৈ গ'ল। ডাকৰ বচনৰ অতি পুৰণি পুথি পোৱা নাই। এতিয়া পোৱা পুথিতবৌদ্ধ প্ৰভাৱ থকা যেন মনে নধৰে। মন্ত্ৰ কিছুমানত কিন্তু বৌদ্ধ প্ৰভাৱ স্পষ্ট। অৱশ্যে মন্ত্ৰ বিলাকত আৰ্য্য আৰ্যেতৰ বহুত দেৱ-দেৱী, ভূত-পিশাচ চিটিবাছৰ যাত্ৰীৰ দৰে ঠাহ খাই আছে। মন্ত্ৰবিলাকো উদ্ধাৰ আৰু সংৰক্ষণৰ দিন পাৰ হৈ গৈছে — লাহে লাহে লোপ পাই আহিছে।

নীলগ্ৰীৰ জটাধৰৰ দেশত শিৱ-বিষয়ক সাহিত্য চৰ্যাতকৈও আগৰে পৰাই থাকিব লাগে। পুৰণি তামৰ ফলিত সদায় পিনাকীৰে বন্দনা। কুচিৰ লগত শিৱ-পাৰ্বতীৰ দন লগা, শিৱই পাৰ্বতীৰ পৰামৰ্শ মতে খেতি কৰা, পাশাখেলত শিৱ পাৰ্বতীৰ লগত বেয়াকৈ হাৰি যোৱা কাহিনীবোৰ জনসাহিত্যৰ অঙ্গ আছিল। শচী-সত্যভামাৰ কাজিয়াৰ গীতো সেই সময়ৰে হ'ব পাৰে।

কমতাৰ ৰজা, ৰৰাহী ৰজা, কোঁচ ৰজা, আহোম ৰজা পুৰণি সাহিত্যৰ পৃষ্ঠপোষক চাৰিঘৰ। আধুনিক যুগত ৰাইজহে পৃষ্ঠপোষক। ৰৰাহী ৰজাৰ অনুৰোধত ৰামায়ণ ৰচা মাধৱ কন্দলীৰ আগে পাছে বহুত কবি নিশ্চয় আছিল। মাধৱ কন্দলীৰ বৈশিষ্ট্য এয়ে যে তেওঁ বাল্মীকিৰওপৰত ধৰ্মীয় ৰং নসনাকৈয়ে পদবন্ধে ৰামায়ণ ৰচিলে। মাধৱ কন্দলীৰ হেমাসুন্দৰীৰ কথা কৰিসকলৰ উমৈহতীয়া সম্পত্তি যেন লাগে। ছন্দ আৰু তেতিয়াৰ দিনৰ ভাষাৰ বিষয়তো মাধৱকন্দলী শঙ্কৰদেৱৰ পথ-প্ৰদৰ্শক। অৱশ্যে চৰ্যাগীততেই অসমীয়া কাব্যৰ ভাষাই (diction) পোখা মেলিছিল।

চালুক্য বংশৰ সোমেশ্বৰ ৰজাই ১১২৯ খৃষ্টাব্দত মানসোল্লাস নামে গ্ৰন্থ লিখিছিল বা লিখাইছিল। তাৰে এটা অধ্যায়ৰ নাম গীতবিনোদ। এই অধ্যায়ত ভাৰতৰ বিভিন্ন অঞ্চলৰ ভাষাত ৰচিত সঙ্গীতৰ উদাহৰণ আছে। আচাৰ্য্য সুনীতি কুমাৰ চট্টোপাধ্যায়ে এইখিনি বাঙ্গলা ভাষাৰ ৰচনা বুলি কৈছে। কিন্তু ডঃ সুকুমাৰ সেনে বঙ্গলা নহয় বুলি কয়। এই সঙ্গীতৰ অংশবোৰত বিষ্ণুৰ দশাৱতাৰৰ বৰ্ণনা। তাৰে এটা এনেঃ

ঃ যিজনে ব্ৰাহ্মণৰ কুলত জন্ম লৈ বাহুৰ পৰশত কাৰ্ত্ত-বীৰ্যক খণ্ডিত কৰি জয় কৰিলে সেই পৰশুৰামে আমাৰ মঙ্গল কৰোক!

অসমীয়া বৈষ্ণৱ নাটৰ মুক্তিমঙ্গলত থকা দশাৱতাৰ বৰ্ণনাতো ঠিক এনে ধৰণৰ প্ৰাৰ্থনা আছে ঃ কৰতু মঙ্গল বিধান।

খৃঃ দশম শতাব্দী মানত অসম-কামৰূপ অঞ্চলতো এনে দশাৱতাৰ স্তুতিৰ প্ৰচলন থাকিব পাৰে — ইয়াৰে প্ৰতিধ্বনি খুব সম্ভৱ মহাপুৰুষসকলৰ নাটত বৈ গৈছে। মহাপুৰুষসকলৰ প্ৰভাৱৰ বাহিৰত আৰু তেখেতসকলৰ বহুত দিনৰ আগৰ পৰাই যে বৈষ্ণৱ সাহিত্যৰ এটা ধাৰা আহি আছিল হেম সৰস্বতী আৰু পীতাম্বৰ কবিৰ ৰচনাই তাক প্ৰমাণ কৰে। হেম সৰস্বতীৰ প্ৰহলাদ চৰিত্ৰৰ লগত ইয়াৰ ভাব-ভাষাৰ ভালেখিনি বিভিন্নতা আছে। পীতাম্বৰ কবিৰ ৰচনা শঙ্কৰদেৱৰ নিদাৰ পাত্ৰ হৈছিল

সকলোৱে জনা কথা। হৰিবৰ বিপ্ৰৰ বভ্ৰুবাহনৰ যুদ্ধৰ পদ আজি-কালি যি অৱস্থাত পোৱা গৈছে তৰপৰা মূলৰবহুতপৰিৱৰ্ত্তন ইতিমধ্যে হোৱা যেন লাগে। বভ্ৰুবাহন পৰ্বৰ ভালেখিনি পদ অষ্টাদশ শতাব্দীমানত কোনো গায়ক বা কবিয়ে তাত সংযোগ কৰি দিছে। ইন্দনেছিয়াত প্ৰচলিত ভাৰত আখ্যানৰ লগত ইয়াৰ দূৰসম্পৰ্কও থাকিব পাৰে।

বৈষ্ণৱ সাহিত্যৰ আদৰ্শ ভট্টদেৱে মূল ভাগৱতৰ পৰা ভাঙ্গি ৰচনা কৰা কথা-ভাগৱতৰ তলৰ বাক্যটোত স্পষ্টকৈ ওলাই পৰিছে; লগতে ভট্টদেৱৰ গদ্য শৈলীৰো পৰিচয় ইয়াতে আছেঃ

ঃজগত পাবন হৰিগুণ বিনে বিচিত্ৰ বাক্য কাকতুল্য কামুক জনৰসে প্ৰিয়। জ্ঞানীজনৰপ্ৰিয় নহেঃ যেন ৰাজহংস সব মানস সৰোবৰত চৰেঃ পদ্ম সমূহত নিবাস কৰে। কাকৰ ক্ৰীড়াস্থান উৎসিষ্ট গৰ্ত্তত নৰমে। সামান্য বচনো হৰিগুণ যুক্তহৈলে পৰম পবিত্ৰ হয়ঃ আমাৰ মহাপুৰুষসকলৰ শিক্ষা এয়েঃ শুনে গ্ৰাম্য কথা যিটো নিলাজে, বৈকুণ্ঠে নযায় সিটো ভাগ্য শূণ্য, কুকথায়ে হৰে সমস্ত পুণ্যঃ গ্ৰাম্যকথা বিনাশন, উত্তম শ্লোকৰ গুণঃ কামিনো বৰ্ণয়ন্ কামন্ লোভং লুব্ধস্য বৰ্ণয়ন। নৰঃ কিং ফলমাপ্নোতি কূপেহ মিব পাতয়নঃ কামীলাকৰ কথা বৰ্ণনা কৰি, লুভীয়াৰ লোভৰ কথা বৰ্ণনা কৰি কণা মানুহক পটনাদত পেলাইনো মানুহে কি ফল পায়?

কাশ্মিৰী কবি শিহ্লনৰ খণ্ড কবিতা এটাও ('ৰাজমোহন নাথে অসমীয়ালৈ ভাঙিছিল) কৈছে বোলে ঃ মানুহ এনেয়ে কামনা-বাসনাৰ দ্বাৰাই জৰ্জৰিত। এনে স্থলত কুকবিবিলাকেসেইকামনা-বাসনাৰ কথাকে কৈ কৈ মানুহৰ কি উপকাৰটো কৰিছে?

সাহিত্যৰ এই আদৰ্শই আমাৰ সাধু সাহিত্যক যোৱা শতাব্দীৰ শেষলৈকে শাসন কৰি আহিছে। অসমত এই শাসন অতি প্ৰবল। আমাৰ কবিসকলে ভাগৱত আৰু ভাগৱতৰ স্বীকৃত টীকাকাৰৰ বাহিৰে আন কাৰো কথা নামানে। কাল্পনিক কথা উদ্ভাৱন কৰাও ভাল নাপায়। ৰাম সৰস্বতীয়ে যদিওবা নতুন কাহিনী মহাভাৰতত যোগ দিলে সেই কাহিনীও ভাগৱতৰ শিক্ষা দৃঢ় কৰাৰ উদ্দেশ্যেহে; তেওঁৰ বনপৰ্বৰ এটা নাম সহে গুণে বৈষ্ণৱপৰ্ব। এই সম্পৰ্কত ৰাম সৰস্বতীৰ নিজা কল্পনাৰ মহাভাৰতৰ এটা আখ্যান বিশেষতাৎপৰ্য্যপূৰ্ণ। আখ্যানটো হ'ল এইঃ স্বৰ্গত মৰুদেৱ নামে বিদ্যাধৰ বায়ন আছিল। তেওঁ এদিন ব্ৰহ্মাৰ আগত নৃত্যসভা বহোতে মৃদঙ্গ বজাইছিল।

ঃ নৃত্যগীত বাদ্যে ব্ৰহ্মাসভা সন্তোষিলা। মৰু বিদ্যাধৰে পাচে ভাব ভঙ্গী দিলা ।।
মৃদঙ্গ সহিতে সিটো কৰি মন ৰঙ্গে। উৰাৱ কৰয় যেন পঙ্গীযে বিহঙ্গে ।।
সব ব্ৰহ্মাসভা মাজে বোল উঠি গৈল। দেখি ব্ৰহ্মাদেৱে পাচে বুলিবাক লৈল।
হাউৰে পাপিষ্ঠ বিদ্যাধৰ মন্দমতি ! বিদ্যাৰ গৰ্বত কাকো নমান সম্প্ৰতি ।।
আমাৰ সভাত আসি দেখাস বিক্ৰম ।এতেকে যে হউ তই পক্ষী বিহঙ্গম্ ।।

[দত্তবৰুৱা আৰু যোৰহাটৰ পুথি]

মৃদঙ্গ বজাওতে বিদ্যাধৰে যে এনে চঞ্চল আৰু অশোভন আচৰণ কৰিলে তাৰ শাস্তি স্বৰূপে ব্ৰহ্মাই বায়নক পক্ষীৰূপ ধৰিবলৈ অভিশাপ দিলে। পিছত সকলোৱে ববকৈ কাৰৌ কোকলি কৰাত ব্ৰহ্মা অলপ কোমল হ'ল, ক'লে আৰু দ্বাপৰৰ শেষত নৰনাৰায়ণ কৃষ্ণাৰ্জ্জুন ৰূপে পৃথিবীত বেকত হ'ব। তেতিয়া পঞ্চ-পাণ্ডৱ বনবাসত থাকোতে তুমি দ্ৰৌপদীক আক্ৰমণ কৰিবা আৰু সেই খঙত ভীমসেনে গদাৰে তোমাৰ ডিঙিটো ছিণ্ডি দিব। তেতিয়া তোমাৰ মুক্তি লাভ হ'ব।

ঃ ভীমৰ গদাৰ কোব বজ্ৰৰ প্ৰহাৰ। গলগোট ছিণ্ডি পৰিলেক চমৎকাৰ পূৰ্বৰ সংস্কাৰ তাৰ আসিয়া মিলিলা। পক্ষীৰূপ গুচি তেবে দিব্যৰূপ ভৈলা।। মূল মহাভাৰত বা আন পুৰাণত এনে কাহিনী নাই। ই ৰামসৰস্বতীৰ নিজৰ কল্পনা। কবি-গায়কৰ এনেকুৱা অসংযম আৰু অভকতীয়া আচৰণৰ কথা গ্ৰীক পুৰাণতো দুই এটা আছে। আচল কথা, অসমীয়া জীৱন আৰু সাহিত্যত অতি বেচি কল্পনা আৰু অনুভূতিৰ 'বাঢ়াবাড়ি' নাই। এইখিনিতে সাহিত্যাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সাহিত্য সভাৰ সভাপতিৰ অভিভাষণৰ পৰা এটা কথা উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলো।

ঃ যেনেকৈ সকলো বিধৰ মাটিতে সকলো বিধৰ শস্য নহয়, তেনেকৈ সকলো জাতিৰ মাজতে সকলো বিধৰ সাহিত্য

উদ্ভব হোৱা অসম্ভব। আমি জাতীয় চৰিত্ৰৰ ভূ নলৈ কিতাপ লিখিবলৈ গৈছো গুণেই অসমীয়া মানুহৰ মনত লগা কৰি কিতাপ লিখিব পৰা নাই। বঙ্কিমচন্দ্ৰই জাতীয় প্ৰকৃতিৰ অনুৰূপ কৰি যেতিয়া উপন্যাস লিখি বঙালী মানুহৰ হাতত দিলে তেতিয়াই বঙ্গদেশত (reading public) অৰ সৃষ্টি হ'ল। বঙালী জাতিৰ ভাবপ্ৰবণতা হৈছে স্বাভাবিক চৰিত্ৰ। সেই গুণে উপন্যাসৰ নিচিনা অতি ৰঞ্জিত সাহিত্যই বঙালীৰ হৃদয় ততালিকে অধিকাৰ কৰিলে। মোৰ বোধেৰে আমাৰ দেশত উপন্যাসৰ নিচিনা সাহিত্যই কেতিয়াও পদুৱাই সমাজ গঢ়িব নোৱাৰে। .... অসমীয়া মানুহ স্বভাৱতে গহীন। আমাৰ দেশৰ ভৌগোলিক অৱস্থায়ো এই বিষয়ত আমাক সহায় কৰে। অসমীয়া মানুহে বেজী সিওঁ বেজী সিওঁ কৰি ফুৰিব নোৱাৰে আৰু মোক তোলমোক তোল কৰিও নুফুৰে। অসমীয়াই অসাৰ কথা কব নোখোজে। আমাৰ জাতীয় চৰিত্ৰত স্ত্ৰী ভাৱৰ প্ৰাবল্যতকৈ পুৰুষ ভাৱৰ প্ৰাবল্য বেছি। ..... এই দেশত তন্ত্ৰশাস্ত্ৰৰ জন্ম হলেও ইয়াৰ মানুহৰ সৰহ ভাগেই বৈষ্ণৱ। অসমীয়া জাতিৰ চৰিত্ৰ চাই উপন্যাস, নাটকতকৈ বুৰঞ্জী, দৰ্শন, ধৰ্মনীতি, ৰাজনীতি, সমাজনীতি আদি বিষয়ৰ সাহিত্যইহে আমাৰ মানুহৰ মনক বিশেষ ভাবে আকৰ্ষণ কৰিব পাৰিব ঃ

সাহিত্যাচৰ্যা গোস্বামীদেৱে এইখিনি কথা কোৱাৰ আজি দুকুৰি পোন্ধৰ বছৰ হ'ল। সেই সময়ৰ বাতৰি কাকত, আলোচনী খোচৰোঁতে দেখিছোঁ, গোস্বামীদেৱৰ এই উক্তিকে কেন্দ্ৰ কৰি সপক্ষে-বিপক্ষে অলপ আলোচনাও হৈছিল। অসমৰ তথা জগতৰ ইতিমধ্যে বহুত পৰিবৰ্ত্তন হৈছে। মানুহৰ মতি-গতি আৰু ৰুচিবো সলনি হৈছে। আমাৰ সমাজত বৰ্ত্তমান লঘু সাহিত্যৰ পাঠকেইহে বেচি। গাৰু-তলত, শেতেলীৰ কাষত, ডেকা-ডেকেৰীৰ হাতত উপন্যাস-গল্পৰ কিতাপহে সৰহ। এদল পণ্ডিতে কয় যে আহৃত (acquired) স্বভাৱ, প্ৰাপ্ত (inherited) স্বভাৱতকৈ বলী। আমাৰ যদি কিবা গহীনালি আছিলেও, তাৰ ঠাইত 'পাতলামি' ভালেখিনি আহিল। তথাপি জাতীয় জীৱনৰ একোটা কালিকা (genius) থাকে, তাকো একেবাৰে উলাই কৰিব নোৱাৰি। মনোবিজ্ঞান আৰু নৃতত্বই এইবোৰ কথা চাব বুলিহে সাহিত্যৰ লগত সম্বন্ধ থকা এই বিষয়টো দেখাত অনাৱশ্যক যেন হ'লেও ডাঙি ধৰিবৰ মন গ'ল।

পুৰণি অসমীয়া নাটতো অসমীয়া মানুহৰ গহীন ভাৱটো ওলাইছে। Music crying like gods in pain - দেৱতাই বেজাৰ কৰিলেও গীতেৰেহে বেজাৰ কৰে। দৈৱকীৰ সন্তান ওপজা মাত্ৰকে লুকাই লোকৰ ঘৰলৈ লৈ গৈছে- দৈৱকীয়ে গীতেৰে হৃদয়ৰ বেদনা প্ৰকাশ কৰিছে। বীৰে বীৰে যুদ্ধ লাগিছে- বায়নৰ খোলৰ ছেৰে ছেৰে। নাটকৰ উদ্দেশ্য মুক্তি সাধন -চতুৰ্বৰ্গৰ শেহৰটো।

নাট্যশাস্ত্ৰত সঙ্গীতক নাটৰ শেতেলী বুলি কৈছে, অৰ্থাৎ নাট নৃত্যগীত প্ৰধান। সেইগুণে কোনো সমালোচকে আমাৰ নাটক অৰ্দ্ধ-নাট (quasi drama) বোলে। ৰস-ব্যঞ্জনাৰ দ্বাৰাই উপদেশ আৰু আনন্দ দিয়া নাটৰ কৰ্ত্তব্য। ভৰতৰ নাট্যশাস্ত্ৰত নাট আৰু সমাজৰ সম্পৰ্কৰ কথাও আছে। দেৱতা বা দানৱৰ কাৰো প্ৰতি নাট্যকাৰে পক্ষপাতিতা নেদেখুৱাব। সত্য ঘটনা নাটকত ৰূপান্তৰিত হ'ব। সুখ-দুখ থকা লোকৰ স্বভাৱ আঙ্গিকাদি অভিনয়ৰ সহায়েৰে নাটকে প্ৰকাশ কৰিব। সমাজৰ লগত যি কথাৰ সম্পৰ্ক আছে, নাট-ঘৰৰ লগত সেই সকলোবোৰ সম্বন্ধ আছে। সংস্কৃত নাটৰ লগত সামান্য মিল থাকিলেও অসমীয়া বৈষ্ণৱ নাটে ভাৰতীয় লোকনাট্যৰ অতি প্ৰাচীন ধাৰা এটা ৰাখি থৈছে যেন লাগে। কোনো লোকে আমাৰ অঙ্কীয়া নাটক সংস্কৃতৰ ঘিউত ভাজি বৌদ্ধ বান-বাটিত আগবঢ়োৱা বৈষ্ণৱ পাচলি' বুলিও কয়।

আমাৰ বৈষ্ণৱ নাটসমূহৰ বচন আৰু কথা-বস্তুতকৈও তাৰ নৃত্যগীতৰ গুণেহে বেচি মূল্যবান সম্পদ। এই সম্পদ সমূহৰ বিষয়ে কিছুমান দিনৰ পৰা জনা-শুনা লোকে চৰ্চ্চা কৰিছে। ডঃ মহেশ্বৰ নেওগ, কেশৱ চাংকাকতী, ৰামৰায়ৰ বংশধৰ ৰগেন ভূঞাৰৰা (কুজীডাঁহৰ), ফুলগুৰিৰ গোপীকান্ত মেধি, দিচিয়াল সত্ৰৰ ভৱকান্ত মহন্ত প্ৰভৃতি লোক আৰু ৰৰদোৱা বৈষ্ণৱ গৱেষণা প্ৰতিষ্ঠানৰ কথা এই সন্দৰ্ভত উল্লেখযোগ্য।

অসমৰ বৈষ্ণৱ আন্দোলন সৰ্বভাৱতীয় নৱ-বৈষ্ণৱ আন্দোলনৰ আঞ্চলিক প্ৰকাশ। গীতা, ভাগৱত - পুৰাণ আৰু বিষ্ণুসহস্ৰ নাম এই ধৰ্মৰ 'প্ৰস্থান ত্ৰয়'। উল্লেখযোগ্য যে অসমত বহুকালৰ পৰাই পদ্ম-পুৰাণৰ অন্তৰ্গত বিষ্ণুসহস্ৰ নামৰ প্ৰচলন, মহাভাৰতৰ শান্তিপৰ্ব অন্তৰ্গত বিষ্ণুসহস্ৰ নামৰ ইয়াত কব প্ৰচলন নাই। ওৰেষা-বাৰাণসীত প্ৰসিদ্ধ জয়দেৱ কবিৰ কোমল-

কান্ত ভাষাই অসমীয়া বৈষ্ণৱ কবিসকলৰ ৰচনাত কিছু প্ৰভাৱ পেলালেও ধৰ্মমতৰ ওপৰত চিন ৰাখিব পৰা নাই। অসমৰ বৈষ্ণৱ কবিসকলে ভাৰতীয় দৰ্শন প্ৰকৃতি, পুৰুষ, মায়া, অহঙ্কাৰ, প্ৰবোধ, অবিদ্যা, কৰ্ম আদি চিন্তাবোৰৰ লগত কাব্যৰ যোগেদি অসমীয়া সমাজৰ পৰিচয় ঘটাবলৈ ইচ্ছা কৰিছিল, কিন্তু তেওঁলোকৰ পিছত সত্ৰ-সভা আদি অনুষ্ঠানসমূহে এই বৌদ্ধিক দিশটোৰ প্ৰতি আওকাণ কৰিলে, মহাপুৰুষসকলৰ অভিযান 'সিদ্ধিবস্তু' তে থাকিল। আমাৰ চিন্তাজগতৰ দুৰ্বলতাৰ ইও এটা কাৰণ যেন লাগে। বিচাৰহীন আৰু যুক্তি-দুৰ্বল অনুভূতি প্ৰাণহীন আচাৰ-অনুষ্ঠানত পৰিণত হয়। বৌদ্ধিক দুৰ্বলতাই নৈতিক দুৰ্বলতাও লগত লৈ আহে। তথাপি বৈষ্ণৱ সাহিত্য আৰু গীত-মাতে কেইবা শ বছৰো অসমীয়া জাতিটোক কিছু আনন্দ আৰু শিক্ষাও দি আহিছে, ইও এটা ডাঙৰ কথা।

বেজবৰুৱাৰ বাঁহীয়েও আধুনিক অসমীয়া সাহিত্যত আমাক আনন্দ দিলে, কিছু শিক্ষাও। এটা কথা লক্ষ্য কৰিবলগীয়া, সাধাৰণতঃ বহুত অসমীয়া মানুহে বেজবৰুৱাক ৰসাল সাহিত্যস্ৰষ্টাতকৈও বৈষ্ণৱ ভাৱৰ প্ৰচাৰক বুলিহে আদৰ কৰে। জনা-শুনা মানুহেও সাহিত্য আৰু ধৰ্ম-গ্ৰন্থৰ বিভিন্নতা নুবুজে। সমালোচনাৰ এটা মানদণ্ড আমাৰ দেশত কোনেও দিব পৰা নাই এতিয়ালৈকে। সাহিত্যক সাহিত্য বা কাব্যৰূপে চাব নোৱাৰোঁ, নিজৰ ৰাজনীতি বা ধৰ্মৰ ধাৰণাহে চাওঁ। হৰমোহনত থকা ফুলৰ বৰ্ণনা ৰিজাবলৈ গলে টোকোন জোকাৰি অহা লোকো আমাৰ মাজত বহুত আছে। এনে অৱস্থাত সুস্থ, মোহমুক্ত, নিৰপেক্ষ সমালোচনাৰ পৰিবেশ সৃষ্টি কৰাটোহে আমাৰ সাহিত্যসেৱী সকলৰ প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য হৈ পৰিছে। বেজবৰুৱাৰ প্ৰধান কৃতিত্ব-পাঠ্যপুথিৰ বাহিৰেও আন সাহিত্য থাকিব পাৰে বুলি প্ৰমাণ কৰা। অসমীয়া সাহিত্যৰ প্ৰতি শ্ৰদ্ধা এটাৰ সৃষ্টি কৰিলে। মন্দ কবিক দণ্ড দিবলৈও পৰাঙংমুখ নহৈছিল। দ্বিতীয় বছৰৰ বাঁহীত প্ৰকাশ হোৱা এটা পদ্য-গল্প আছে। ভালুকে ভাবে তাৰ সমান নাচনিয়াৰ পৃথিৱীত নাই। এদিন নাচি থাকোঁতেই সেইপিনে বান্দৰ যাওক? ভালুকে সুধিলে ঃ বান্দৰকাই, মোৰ নাচ বিতোপন নহয়নে? মলুৱাই উত্তৰ দিলে ঃ তোমাৰ নাচ একেবাৰে আপচু। ভালুকে বোলে ঃ তোমাৰ মৌলৈ ঈর্ষা, মই জানো নহয়। এই সময়তে সেই পিনে গাহৰি এটা আহিছিল। সি ভালুকৰ নাচ 'অপূৰ্ব চমৎকাৰ, চমৎকাৰ' বুলি চাপৰি বজালে। তেতিয়া ভালুকৰ মুখ শকাই গ'ল। সি ভাবিলে, গাহৰিয়েও যেতিয়া ইমান শলাগিছে, মোৰ নাচ কিমান আপচু গম পাইছো।

পদ্যটোৰ শেষৰ এই শাৰীটো মাৰাত্মক ঃ

ঃ কবি গ্ৰন্থকাৰ সকলোৱে কথাটো ভালকৈ শুণি-ভাবি চাবা ঃ এই এটা বাক্যতে সমালোচক বেজবৰুৱাজন সোমাই আছে। তেও আকৌ আহিবনে মনেৰে?

'আধুনিক সাহিত্য তেনেই পতনুৱা' (মৰ্ডান লিটাৰেছাৰ ইজ এছেন্‌ছিয়েলি ট্ৰিভিয়াল্) বিশ্ববিশ্ৰুত মনীষীয়ে কোৱা কথা. যেয়ে সেয়ে এনেকৈ ক'বলৈ সাহ নকৰে। সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কবি ৰঘুনাথ চৌধাৰী ডাঙৰীয়াই তেখেতৰ অভিভাষণত কৈছিল ঃ 'যি সুগভীৰ অন্তর্দৃষ্টিৰ প্ৰভাৱত বিশ্ব-সাহিত্য গঢ়ি উঠিছে, তেনে সাহিত্য আমাৰ দেশত কিমান? অকল ঘৰখনৰ ভিতৰতে শিৰোমণি ভূঞা হলেই নহ'ব।' পাঠক, সমালোচক, সাহিত্যিক সকলোৱে পক্ষে এইটোৱেই আদৰ্শ। অৱশ্যে কালৰ বিক্ৰম পৰাজয় কৰিব নোৱৰা মহৎ গ্ৰন্থ বহুত বছৰৰ মূৰে মূৰে কেতিয়াবা একোখনহে ওলায় । সৰহ ভাগেই সাময়িক, দুদিনৰ পাছতে এৰাপৰে। মানুহে জলপান খাই পেলাই দিয়া মলাচৰুহে।

লোকে আমাক অজ্ঞ বুলি ভাবিব, এই ভয়তো আমি প্ৰায়ে কিবা এটা কবিতা, কিতাপ শলাগি থওঁ। 'দেবাঙ্গ-ভূষণ বস্ত্ৰ' ৰ সাধুকথাৰ দৰে জাৰজ বুলি অপযশ পোৱাৰ ভয়ত বহুতেই নগ্ন মহাৰাজাকো দিব্যবস্ত্ৰ-আবৃত বুলি কওঁ। সাহ কৰি সচাঁটো কওঁতা নাই। এই গল্পটো জাতকতো আছে; জামনিতো আছে বুলি কথা প্ৰসঙ্গত পণ্ডিত সন্দিকৈ ডাঙৰীয়াই কৈছিল। সকলো দেশতে এনে মনোবৃত্তি আছে।

কথাত কথা ওলায়। আমাৰ সাধু কথাকে আদি কবি লোক সাহিত্যৰ চৰ্চা আজি-কালি হৈছে। ডঃ প্ৰফুল্ল দত্তগোস্বামীয়ে এই বিষয়ে বিশেষ আলোচনা কৰিছে। জন-জাতিৰ অবদান এই লোক সাহিত্যতে সৰহ। অসমৰ স্থানীয় সম্পদৰ (Matter of Assm) ওপৰত গুৰুত্ব দিবলৈ শিকাটো অতি সময়োচিত কথা। আমাৰ সাধু কথাৰ ওপৰত আলম লৈ নাটক ৰচনা বেজবৰুৱাই কৰিছিল। আমাৰ নাট্যকাৰ-কবিসকলেও এই ফালৰ পৰা ভালেখিনি বিষয় বস্তু পাব পাৰে। সাধুকথাবোৰৰ এটা

বিশ্বজনীন আবেদন আছে ; সৰু লৰা আৰু বুঢ়া লৰা সকলোকে আনন্দ দিব পৰা গুণ ইয়াৰ আছে । সাধুকথাৰ বিষয় অৱলম্বন কৰি আজিকালি কথাছবি নির্মাণ কৰিছে। সাধু কথাই পুতলা নাচৰো সমল যোগাইছে।

ৰবীন্দ্রনাথে এঠাইত কৈছে ঃ সাহিত্যৰ তলৰ অংশ স্বদেশৰ মাটিৰ লগত মিলি ঢাক খাই থাকে। ইয়াৰ ওপৰতহে নগৰীয়া ধনী সাহিত্য থিয় হয়। ৰবীন্দ্রনাথৰ কথা ওলাওঁতেই আৰু এটা কথালৈ মনত পৰিল। নাৰী প্রতিভা সম্বন্ধে তেওঁ এবাৰ এগৰাকী আত্মীয়ালৈ চিঠি এখনত এই বুলি লিখিছিলঃ তোমালোকে সুন্দৰকৈ গান গাব পাৰা। কিন্তু গান ৰচনা কৰিব নোৱাৰা। আজিকালি হোৱা হ'লে এইদৰে নেলেখিলেহেঁতেন ছাগৈ। আগৰ মানুহৰ ধাৰণা আছিল পুৰুষৰ তৰোৱাল, নাৰীৰ বেজি; পুৰুষৰ বাহিৰ, তিৰোতাৰ ভিতৰ। বিলাতত একালত সাহিত্য-চর্চা কৰা মহিলাৰ সমাজ এখনক 'ব্লুষ্টকিং' (blue stocking) বুলি ইতিকিং কৰিছিল। আজি কালি কোনেও সাহ নকৰে। ইমান দিনে নাৰীৰ পক্ষৰ কথা পুৰুষ কবি-সাহিত্যিকে কৈ আহিছে; মহিলা সাহিত্যিকে নিজৰ কথা ক'লে আমাৰ সাহিত্য নিশ্চয় সমৃদ্ধ হ'ব। শৰৎচন্দ্র আৰু অনুপমা-নিৰুপমাদেৱীয়ে আঁকি যোৱা নাৰী চৰিত্র বিজাই চাব পাৰি। বিনোদিনী আৰু আনন্দময়ী ৰবীন্দ্র নাথৰ সৃষ্টি। সি যিহওক, পুৰুষ আৰু মহিলাৰ ওপৰত প্রকৃতিৰ বেলেগ দাবী থকিলেও উভয়ৰে সাহিত্য চর্চা আৰু সৃষ্টিত বাধা নাই। অৱশ্যে পাণৰোৱা লোকো সমাজক লাগে। সাহিত্য- কলা মাত্র উপলক্ষ্যহে-জীৱনৰ শ্রেয় লাভহে সকলোৰে লক্ষ্য ।

সমাজৰ পৰা অশ্লীল আৰু অশোভন বস্তু আঁতৰাবলৈ আমাৰ দেশৰ মহিলা সকলে সঙ্কল্প কৰা কথা শুনিছো। কাঁইট-গছ কটা ভাল, সেই বুলি যেন গোলাপ ফুলৰ গছ কাটি নেপেলায়। গুৱাহাটীৰ কোনো কোনো অনুষ্ঠানে কালিদাসৰ নাটৰ বীভৎস-বিকৃত ৰূপ দিয়াটো তেখেতসকলে গম পাইছেনে, কব নোৱাৰো । বাস্তৱবাদী আর্ট আৰু বীভৎস ৰসৰো সীমা এটা আছে । এইবিলাক বেচি খোৱা মানুহক প্রশ্রয় দিব নোৱাৰি । সাহিত্যত এনে বিহগুটি গম ধৰিব নোৱাৰাকৈ মানুহে খাই আছে । গীতাত তামসিক আহাৰৰ দুর্গুণৰ কথা আছে । আমাৰ মানুহক টেঙা আম বেচি থাকিলেও গম নাপায় । অজলাই ভোজ দিয়ে, টেঙৰে খায় ।

আমাৰ কোনো কোনো সাহিত্যি ভালবেয়াই বেচি কাৰবাৰ কৰাটো গৌৰৱৰ কথা বুলি ভাবে। ভাল বস্তু বেচিলে হানি নাই। সাহিত্য সভাৰ পোহৰত সৰহীয়া কিতাপ বিক্রী হ'লেই অসমীয়া সাহিত্যৰ উন্নতি হ'ল বুলি চিঞৰা লোকো আছে। আমাৰ পাঠক সমাজৰ ৰুচি গঠন কৰাটোও সমালোচক-সাহিত্যিক সকলৰ ডাঙৰ কর্ত্তব্য। ভাল বস্তুৰ সোৱাদ পালেহে ভাল-বেয়াৰ সোৱাদ বুজে।

পণ্ডিত নেহেৰুৰে কৈ যোৱা ভালেখিনি সাৰুৱা কথাৰ মাজৰ এটা কথা হ'ল এইটো ঃ

If I was asked what is the greatest treasure which India possesses and what is her finest heritage, I would answer unheritatingly-- it is the Sanskrit language and literature, and so long as this endures and influences the life of our people , so long the basic genius of India will continue : সংস্কৃত ভাষা আৰু সাহিত্য ভাৰতৰ শ্রেষ্ঠ বিকৃথ যেতিয়ালৈকে আমাৰ মানুহৰ ওপৰত ইয়াৰ প্রভাৱ থাকে, ভাৰতৰ আত্মা তেতিয়ালৈকে ৰ'ব।

সংস্কৃত শিক্ষা যে একান্ত আৱশ্যকীয়, তাক আগতেই উনুকিয়াই অহা হৈছে। আমাৰ সাহিত্যৰ ঘাই শিপাডাল যাতে কটা নপৰে। অসমীয়া ভাষা উচ্চ শিক্ষা আৰু উচ্চ চিন্তাৰ বাহন হৈছে, গতিকে সংস্কৃতৰ গুৰুত্ব দিনে দিনে বাঢ়ি আহিছে। ইংৰাজীৰ গুৰুত্বও কমা নাই; বাহিৰৰ বতাহ এইখন দুৱাৰেদি সোমাব। সেইগুণে অনুবাদৰ সোঁত বৈ থাকিব লাগে। ভবেন বৰুৱাৰ জাপানী কবিতাৰ অনুবাদ আৰু ধীৰেন্দ্রনাৰায়ণ দাসৰ মিলিন্দ প্রশ্নৰ অলপতে ওলোৱা অনুবাদ প্রশংসনীয়।

এটা জাতি কিমান সভ্য তাক বুজিব পাৰি সেই জাতিয়ে শিক্ষক, সাহিত্যিক, শিল্পীক কেনে ব্যৱহাৰ কৰে তাঁলে চাই। কোনো কোনো দেশৰ বুৰঞ্জীত দেখা যায়, ৰজাই শোষণ কৰিছে, শিক্ষকে বেপাৰ কৰিছে, গৃহিণীয়ে যুৱতী পদৰ অভিলাষ কৰিছে, কিপ্লিংএ ব্রাউনিঙৰ ঠাই লৈছে, হৰিশ্চন্দ্র উপাখ্যান চাউল-মগনিয়াৰ হৈছে। নেদেখাজনাই যেন আমাৰ দেশৰ এনে বিপর্যয় হ'বলৈ নিদিয়ে। গণতন্ত্র জুইৰ লগত কৰা ধেমালি - জনতাই সুন্দৰৰ মোল নুবুজিলে গোটেই পৰিবেশটোৱেই আপচু

হয়। সুন্দৰ আৰু অসুন্দৰৰ পাৰ্থক্য বুজাব পৰা মুগ্ধবোধ উপায় ওলাইছেনে ক'ৰবাত?

ৰাইজৰ চৰিত্রই ৰজাৰো চৰিত্র। ৰাইজৰ মাজত ঐক্য-সংহতি থাকিলে চৰকাৰে তুৰি-মুৰি কৰিব নোৱাৰে। আমাৰ বেলেগ বেলেগ সম্প্রদায়ৰ মাজত মিলা-প্রীতি অটুট থাকিলেহে ভাষা-,সাহিত্যৰো উন্নতিত বাধা নপৰে। শুদ্ধ ভাৱে একান্তমনে ভাষা-সাহিত্যক সেৱা কৰিলে নিশ্চয় বিঘ্নিৰ মুগুত ভৰি দিব পাৰিব। অৰুণাচলৰ মুখ্যমন্ত্রী গৰাকীয়ে সিদিনা শোণিতপুৰত কোৱা কথা কেইটা বৰ তাৎপর্যপূর্ণ। বড়োসকলৰ এগৰাকী নেতা শ্রীপ্রমোদ ব্রহ্মৰ উদ্যোগত বড়ো ভাষাত লিখা এখনি কবিতাৰ পুথি অসমীয়া লিপিত ছপা হৈ আছে। ৰাভা, মিছিং, কাৰ্বি, ডিমাছা, মণিপুৰী এইসকলেও সাহিত্য সভাৰ লগত সহযোগিতা কৰিছে। আশাকৰোঁ অসমত থাকি জীৱন নির্বাহ কৰা বাহিৰাগতসকলেও অসমীয়া ভাষা-সাহিত্যৰ প্রতি প্রতিকূল আচৰণ নকৰিব। Thy country, my country, য'ত জন্ম সেয়ে জন্মভূমি নহয়; য'ত থাকে, কাম কৰে - সেয়েহে জন্মভূমি।

আধুনিক অসমীয়া সাহিত্যৰ কৃতিত্বতকৈও আকাঙ্ক্ষা আৰু উদ্যমহে লেখত লবলগীয়া। কল্যাণৰ অবিৰোধী সকলো সাহিত্য প্রচেষ্টাই অভিনন্দনৰ যোগ্য; অৱশ্যে সকলো সাহিত্য কর্মই উচ্চ স্তৰৰ হ'ব নোৱাৰে। কোটি কোটি শিলগুটিৰ মাজতহে অকস্মাৎ এটি শালগ্রাম ওলায়; কিন্তু শিলগুটিৰো মূল্য একেবাৰে নোহোৱা নহয়। সাহিত্য ক্ষেত্রত অনেকেই মজদুৰ আৰু 'ছোখিন মজদুৰ'। এইসকল কর্মীয়ে প্রস্তুত কৰা আধাৰতহে মহৎ সাহিত্য-সৃষ্টি সম্ভৱ হয়। সন্তানৰ আধা ফুটা অসংলগ্ন কথাও মাতৃৰ আদৰৰ। সাহিত্য সৃষ্টিৰ কাৰণে সাহিত্য-সেৱীক আজৰি লাগে, অন্ন-সংস্থানো লাগে। সাহিত্যিক ভাবক নহয়, পাবক। সাহিত্যিকৰ কটা মূৰেও হৰি জোঁৱাইৰ দৰে অন্যায়ৰ প্রতিবাদ কৰে।

আমাৰ এগৰাকী শ্রদ্ধেয় বন্ধুৱে মোৰ অভিভাষণ চমু আৰু সত্যনাৰায়ণ পূজাৰ প্রসাদৰ সোৱাদ হ'ব লাগে বুলি উপদেশ দিছিল; পিচে এটাও নহ'ল। লৈ অহা তামোল-পাণৰ তামোল ধেনা, পাণবিৰা লেৰেলা। অতি বিনীতভাৱে ইয়াকেই ৰাইজলৈ আগবঢ়ালোঁ। বৌদ্ধসকলৰ মহামঙ্গল প্রার্থনাৰ শ্লোক এটাৰে এতিয়া সামৰোঁ ঃ মূর্খক সেৱা নকৰিবা, জ্ঞানীক সেৱা কৰিব, পূজনীয়ক পূজা কৰিব — এয়ে সর্বশ্রেষ্ঠ মঙ্গল।

অসেৱনা বালানং, পণ্ডিতানঞ্চ সেৱনা।
পূজা চ পূজনীয়ানম্, এতং মংগলং উত্তমং।

-- * --

চতুশ্চত্বাৰিংশ সম্মিলন

অভয়াপুৰী, ১৯৭৭ খ্ৰীঃ

চৈয়দ আব্দুল মালিক

মাননীয় অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া, মাননীয় প্ৰতিনিধিসকল, সন্মানিত বিশিষ্ট অতিথিসকল, মাননীয় সাহিত্যিকসকল, সাহিত্যসেৱী বন্ধু-বান্ধৱীসকল আৰু অভয়াপুৰীৰ এই পৱিত্ৰ সাহিত্যপীঠত সমবেত হোৱা চিৰশ্ৰদ্ধাভাজন বাইজ, তিনিকুৰি বছৰৰ আগেয়ে জন্মলাভ কৰা অসম সাহিত্য সভাৰ গুৰিধৰোঁতা, অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আৰু জাতীয়তাৰ সম্ভাৱনা আৰু সমৃদ্ধিৰ স্বপ্নেৰে উদ্বুদ্ধ, অসমৰ অমৰ সাহিত্যিক, চিন্তানায়ক আৰু সংস্কৃতিসেৱীসকলৰ কথা সসন্মানে সুঁৱৰি,

যিসকল ভাষা-সংস্কৃতি-সাহিত্যপ্ৰেমী লোকৰ নিঃস্বাৰ্থ আৰু অক্লান্ত শ্ৰম, চেষ্টা আৰু সংগ্ৰামৰ ফলত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিয়ে পৃথিৱীৰ সাহিত্য-সমাজত নিজৰ প্ৰাপ্য আসন বিচাৰি লোৱাৰ পথত ভৰি দিবলৈ আগবাঢ়িছে,

যিসকলৰ আদৰ্শ আৰু ত্যাগৰ, স্বপ্ন আৰু হতাশাৰ স্বাক্ষৰ আমাৰ সাহিত্যৰ ইতিহাসৰ পাতে পাতে জীৱন্ত হৈ আছে,

যিসকল মহান সাহিত্যকৰ্মীয়ে সাহিত্যৰ যোগেদিয়ে অসমীয়া নামৰ এটা জাতি, এটা সংস্কৃতি আৰু এটা বৰণীয় ঐতিহ্যৰ ভেটি বান্ধিলে,

যিসকল লেখনী, কৰ্ম আৰু জীৱনাদৰ্শৰ পৰা প্ৰেৰণা লৈ অসমীয়া সাহিত্য বিকাশ আৰু আত্মপ্ৰতিষ্ঠাৰ পথত নিশ্চিত পদক্ষেপেৰে আগুৱাই গৈছে, সেই সকলোৰে প্ৰতি সন্মানেৰে আৰু কৃতজ্ঞতাৰে মূৰ দোঁৱাই আৰু বৰ্তমানৰ যিসকল সাহিত্য-সাধকৰ অটল সংকল্প, গভীৰ নিষ্ঠা, কঠোৰ শ্ৰম আৰু একাগ্ৰতাই অসমীয়া সাহিত্যৰ বৰ্তমানৰ আৰু ভবিষ্যতৰ বাজআলিত আশা আৰু প্ৰত্যয়ৰ বহুবৰণীয়া নতুন পোহৰ ছটিয়াইছে,

সেইসকলৰ বন্ধুত্ব সহযোগিতা আৰু পথ-নিৰ্দেশৰ ওপৰত নিৰ্ভৰ কৰি, উদাৰচিত্তীয়া বাইজৰ চেনেহ আৰু আশীৰ্বাদক মূলধন কৰি লৈ, নিজৰ অযোগ্যতা আৰু অক্ষমতাৰ কথা অকণোপাহৰি নোযোৱাকৈ, অসমীয়া বাইজৰ হৃদয়ৰ থাপনা স্বৰূপ অসম সাহিত্য সভাৰ সভাপতিৰ এই মহান আৰু পৱিত্ৰ আসন এই নিঃকিনে গ্ৰহণ কৰিছে। অসমৰ সদৌ বাইজ লগ লাগি উলহ-মালহেৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ মহান সত্তাক নতুন শক্তি, নতুন ৰূপেৰে সঞ্জীৱিত কৰি তুলিবৰ কাৰণে কৰা এই সমূহীয়া আয়োজনত এই নিঃকিনেও আপোনাসকলৰ লগতে সমল যোগনীয়া হোৱাৰ সৌভাগ্য লাভ কৰি ধন্য হৈছে।

অসম সাহিত্য সভা অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ আটাইতকৈ বৃহৎ, আটাইতকৈ শক্তিশালী আৰু আটাইতকৈ আদৰৰ বাজহুৱা অনুষ্ঠান। যিসকলে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক নিজৰ বুলি ভাৱে, সেইসকলে অসম সাহিত্য সভাকো নিজৰ বুলি ভাৱে। এই কাৰণেই নিজৰ সভাখনৰ অধিৱেশন নিজৰ নিজৰ অঞ্চলত পাতিবৰ কাৰণে হেতা-ওপৰা লগায়; সভাৰ অধিৱেশন নিজবঠাইত পতাত, সাহিত্য সভাত যোগদান কৰাক, সভাৰ কাৰ্যকলাপৰ লগত জড়িত হৈ পৰাক পৰম আনন্দ আৰু সন্মানৰ কথা বুলি গণ্য কৰে।

বাইজে সাহিত্য সভাক নিজৰ আপোন বুলি ভাৱে কাৰণেই, ইয়াৰ সংগ্ৰামক নিজৰ সংগ্ৰাম বুলি ধৰে; ইয়াৰ দোষ-দুৰ্বলতা ত্ৰুটী-বিচ্যুতিৰ বাবে বিচলিত হয়, ইয়াৰ শক্তি সাফল্যত উল্লসিত হয়, ইয়াক জয়জয়-ময়ময় কৰিবৰ কাৰণে দেহেকেহে খাটি দিহা-পৰামৰ্শ দিয়ে, ইয়াক সমালোচনা কৰে।

সাহিত্য সভাৰ পৰা নিলগত থকাসকলেও, সভাই কিবাকিবি বহুত কৰিব নোৱৰাৰ কাৰণে দোষাৰোপ কৰে, ইয়াৰ আঁচনি আৰু কাম-কাজৰ খুঁত উলিয়ায়; তেওঁলোকেও পৰোক্ষে হ'লেও, অসমৰ ভাষা-সাহিত্যৰ কাৰণে বহুত কিছু কৰিবৰ কাৰণে সাহিত্য সভাৰ ওপৰতে নির্ভৰ কৰে। অন্য কোনোৱে চিন্তা নকৰা বা হাতত নোলোৱা কামবোৰ সাহিত্য সভায়েই কৰক বুলি বাঞ্ছা কৰে। যিসকলে ব্যক্তিৰ গাইগুটীয়া শক্তিতকৈ ৰাইজৰ সমূহীয়া, মুঠবন্ধা শক্তিক অধিক কৰ্মক্ষম বুলি বিশ্বাস কৰে, সেইসকলে অসমৰ জাতীয় সাহিত্য-সংস্কৃতিৰ সমস্যাবোৰৰ সমাদানৰ কাৰণে সাহিত্য সভাৰে নেতৃত্ব আৰু আশ্রয় বিচাৰে।

ৰাইজৰ এই আস্থায়েই অসম সাহিত্য সভাক শক্তি যোগাই আহিছে। যোৱা তিনিকুৰি বছৰে অসমৰ ৰাইজে সাহিত্য সভাৰ নির্দেশ নেতৃত্বক যিদৰে মান্যতা দি আহিছে তাৰ দ্বিতীয় উদাহৰণ পাবলৈ টান।

অসম সাহিত্য সভাৰ নিচিনাকৈ অন্য কানো অনুষ্ঠানেই সকলো ঠাইৰ সকলো জাতিৰ, সকলো ধর্মৰ, সকলো মতাদর্শৰ, সকলো স্তৰৰ, সকলো বয়সৰ পুৰুষ-নাৰী, যুৱক-যুৱতী, ল'ৰা-ছোৱালীক নিজৰ বুকুত সামৰি নলয়, ল'ৰ নোৱাৰে। শিল্পী-সাহিত্যিকে মানুহৰ মনৰ ভাৱ বেকত কৰে, হৃদয়ৰ অনুভূতিক বাঙময় ৰূপ দিয়ে, মানুহৰ স্বপ্নৰ ৰূপছবি আঁকে। হয়তো অসমৰ ৰাইজে সাহিত্য সভায়ো তেওঁলোকৰ মনৰ ভাৱ ব্যক্ত কৰাটো বিচাৰে, হৃদৰ অনুভূতি প্রকাশ কৰাটো বিচাৰে, ৰাইজৰ সপোনৰ ৰূপ দিয়াটো বিচাৰে। সেয়ে ৰাইজে নিজক সভাৰ লগত জড়িত কৰিবলৈ হেঁপাহ কৰে।

সাহিত্য সভা অনুষ্ঠিত হোৱা ঠাইত গৃহস্থ আৰু অতিথি একাকাৰ হৈ পৰে। ৰাইজে বাৰীৰ লাইপাত এমুঠি দিও সাহিত্য সভালৈ অহা অতিথিসকলক আদৰে; ধানখেৰৰ ওপৰত শুয়ো অতিথিসকলে অভ্যর্থনাৰ আন্তৰিকতাক সাদৰ স্বীকৃতি জনায়।

অসম সাহিত্য সভা ৰাইজৰ সভা। বছৰৰ মূৰত এবাৰ হ'লেও কোনোবা এঠাইত সদৌ অসম আৰু দাঁতি-কাষৰৰ ৰাইজ একে ঠাইত গোট খোৱাৰ উপলক্ষ্য হ'ল সভাৰ অধিৱেশন। অভ্যর্থনাৰ আয়োজন কেৱল জনদিয়েক সাহিত্যিকৰ কাৰণে নহয়, সমৰেত সদৌটিৰ কাৰণে।

অসমৰ কোনোবা এঠাইত সভাৰ বছৰেকীয়া অধিৱেশন বহে, এদিনীয়া, দুদিনীয়া বা তিনিদিনীয়া। ৰাইজলৈ বছৰটোৰ তিনিশ তিনিকুৰি তিনিটা দিন এৰি সাহিত্য সভাই দুটা বা তিনিটা দিন নিজলৈ বুলি বিচাৰে। এখন ৰাজ্যৰ সদৌ ৰাজ্যৰ সার্বজনীন উৎসৱৰ কাৰণে তিনিটা দিন বৰ বেছি জানো?

আপোনালোকে মোক সভাপতি পাতিছে। সভাপতিৰ দায়িত্ব গধু�ৰ। সেই দায়িত্ব বহনৰ শক্তি আৰু যোগ্যতা মোৰ কিহত আপোনাসকলে দেখা পাইছে মই নাজানো। প্রায় পঁচিশ বছৰকাল স্কুলে-কলেজে মাষ্টৰী কৰিলো বুলিয়ে সাহিত্যৰ মজিয়াতো মাষ্টৰী কৰাৰ অর্হতা আর্জন কৰিলো বোলাৰ সমান ধৃষ্টতা আৰু অহমিকা মোৰ নাই।

মোৰ বেহানি-সামান্যা অকণমান চিন্তা, অকণমান কল্পনা, তেনেই সামান্য অভিজ্ঞতা। বিদ্যা-বুদ্ধি, অধ্যয়নো তদ্রূপ। সেয়ে সম্বল। মোৰ অভিজ্ঞতাৰ পৃথিৱীখন সৰু, জ্ঞানৰ ভঁড়ালৰ তলিত এমুঠি পতনুৱা লখিমী, ভাৱ-কল্পনা পৈণত হয়গৈ মানে যমৰ দুৱাৰদলিয়েই পামগৈ কিজানি! আপোনালোকে বিচাৰিলে মোৰ ভিতৰত তাতকৈ বেছি আৰু একো নাপায়।

দার্শনিক, সাহিত্যিক মনীষী লর্ড বার্ট্রাণ্ড ৰাছেলৰ বোলে 'চুট' মুঠেই এসাজহে আছিল। এই কথাৰ সত্যাসত্য নির্ণয় কৰো বুলি এজন কৌতূহলী মানুহে হেনো লর্ড ৰাছেলৰ ঘৰলৈ গৈ সুধিলে, "লর্ড ৰাছেল, আপোনাৰ 'চুট' বালে মুঠেই এসাজহে। সেই 'চুট'যোৰ আপুনি বাৰু ক'ত থৈছে- চাব পাৰোনে?"

মনীষী ৰাছেলে হেনো গাত পিন্ধি থকা পুৰণি চুটযোৰ দেখুৱাই উত্তৰ দিলে, "হয়, এয়া, সেই কাপোৰসাজ মই পিন্ধিয়ে আছো।"

মোৰ পৰা লেখক হিচাপে আপোনালোকে যি পাইছে, আপোনালোকে মোৰ যি দেখিছে সেয়াই সকলো, আৰু একো নাই। ৰাইজৰ চকুত মোৰ হেজাৰ-বিজাৰ, দোষ-দুর্বলতা, ত্রুটী-অপূর্ণতা ধৰা নপৰাকৈ থকা নাই। তথাপি ৰাইজে মৰম নকৰি থকা নাই। ৰাইজৰ ক্ষমা আৰু উদাৰতাই মোক আৰু ঋণী কৰিছে, কণাকড়িৰ গৰাকীক কুবেৰৰ আসন যাচিছে। এই মহানুভৱতাই মোৰ ক্ষুদ্রতা উপলব্ধি কৰাত আৰু সহায় কৰিছে।

অসম সাহিত্য সভাৰ সভাপতি হিচাপে আজি যি দুআষাৰ কথা ক'বলৈ ওলাইছোঁ আৰু দায়িত্বত থকা দিনকেইটাত যি ক'ম বা কৰিম বুলি ভাবিছোঁ তাত সহৃদয় ৰাইজৰ সহায়-সহানুভূতি পাম বুলি সম্পূর্ণ ভৰসা কৰিলোঁ। সভাপতি সেনাপতি নহয়, আপোনাসকলেহে কর্তব্যাকর্তব্য দেখুৱাই দিব। আপোনাসকলে শক্তি যোগালে, শুকুভাৰ সুকলমে বহন কৰিবলৈ আমিও মনত

বল আৰু সাহস পাম।

অসম সাহিত্য সভাৰ এটা আদর্শ আৰু ঐতিহ্য আছে : ই ৰাজনীতি-নিৰপেক্ষ এটা সাহিত্যিক অনুষ্ঠান। সাহিত্য সভাই ৰাজনীতি নকৰে আৰু কোনো প্ৰকাৰৰ দলীয় ৰাজনীতো জড়িত হৈ পৰিবলৈ নিবিচাৰে। এনে আদর্শ অনুসৰণ কৰি চলাৰ ফলত ই শক্তি আৰু বিস্তৃতি লাভ কৰিছে। সকলোৰে নিজ নিজ দল-মত-ৰাজনৈতিক-আনুগত্য-নির্বিশেষে সাহিত্য সভাক নিজৰ অনুষ্ঠান বুলি ধৰাৰ সুবিধা পাইছে। চৰকাৰী চাকৰিয়ালেও সাহিত্য সভাৰ দায়িত্বপূর্ণ বিষয়বাব ল'ব পৰাটোৱে ইয়াৰ অৰাজনৈতিক স্বৰূপ দাণ্ডি ধৰে।

কিন্তু জন-জীবনৰ স্বার্থ আৰু সমস্যাক ছুই যোৱা কোনো সচেতন সাহিত্যই ৰাজনীতিৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ প্ৰতিক্ৰিয়াৰ পৰা নিজক আঁতৰাই ৰাখিব নোৱাৰে। কোনো এজন সাহিত্যিকৰ সুনিশ্চিত, শক্তিশালী চিন্তাধাৰা আৰু অভিমতে এক স্বতঃস্ফূর্ত জনমত গঢ়ি উঠাৰ প্ৰেৰণা আৰু পৰিবেশ ৰচনা কৰে। সাহিত্যিকৰ দৃষ্টিভংগী আৰু অভিমতক, জনতাৰ স্বার্থৰ অনুকূলে বিবেচনা কৰিলে, তাৰ প্ৰতি সমর্থন আগবঢ়ায়; কিয়নো কবি-শিল্পী-সাহিত্যিকসকল জনসাধাৰণৰ সঞ্চিত মস্তিষ্ক-স্বৰূপ। মানুহৰ কাৰণেই ৰাজনীতি আৰু মানুহৰ কাৰণেই সাহিত্য। কোনো ৰাজনৈতিক আদর্শ যেতিয়া মানবকল্যাণৰ আদর্শেৰে উদ্বুদ্ধ হয়, তেতিয়া সি সাহিত্যৰো সমর্থন লাভ কৰিবলৈ সক্ষম হয়। ৰাজনীতি যেনেকৈ এটা শ্ৰেণীৰ, এটা সম্প্রদায় বা গোষ্ঠীৰ বা এমুঠি মানুহৰ কাৰণে নহয়, সাহিত্যও কোনো শ্ৰেণীবিশেষৰ, গোষ্ঠী সম্প্রদায় বিশেষৰ বা মাথোন কেইজনমান মানুহৰ কাৰণে নহয়। এটা বিষয়ত সাহিত্য ৰাজনীতিতকৈ ডাঙৰ : ৰাজনীতিৰ একোটা ভৌগোলিক সীমা আছে, সাহিত্য বিশ্বজনীন। ভূগোল-বুৰঞ্জীৰ সীমাত সাহিত্যক বন্দী কৰি ৰাখিব নোৱাৰি।

অসমীয়া সাহিত্যৰ এটা বিশেষত্ব আছে। প্ৰাচীন কালৰে পৰা এই সাহিত্য জনাৰ জীবনৰ লগত জড়িত হৈ আহিছে। বৈষ্ণৱ যুগৰ ধর্মীয় সাহিত্যও বিশ্বমানৱৰ কল্যাণৰ আদর্শৰ ভিত্তিতে ৰচিত হৈছিল। অসমীয়া কবিয়ে মহাদেৱ-পার্বতী, ভীম, নাৰদ সকলোকে চিনাকি অসমীয়া সাজত সজাই-পৰাই ৰাইজৰ আপোন কৰি তুলিবলৈ ভয় নকৰিছিল অসমৰ লোকগীতত পার্বতী গোসাঁনীয়ে তেতিলী তলত তাঁত-বাটি কৰে, কুচী পাহৰি আহে, তাৰ বাবেই পগলাই কিলায়। অসমৰ জিকিৰ গীতত আৱৰৱ হজৰত আলী আৰু বিবি ফাতিমাৰ বিয়াত তামোল-পাণ কাটি আলহীক শোধ-পোচ কৰে।

আমাৰ সাহিত্য জীবনধর্মী সাহিত্য, কল্যাণধর্মী সাহিত্য। ৰাইজৰ আস্থাভাজন, সাহিত্যিক আখ্যাৰ উপযোগী, কোনো সাহিত্যিকেই সমাজৰ ধ্বংসাত্মক, অশুভকামী প্ৰতিক্ৰিয়াশীল শক্তিবোৰৰ সপক্ষে কাহানিও লিখা নাই। আজিৰ অসমীয়া গল্পকাৰ, নাট্যকাৰ, কবি, ঔপন্যাসিক, নিৱন্ধকাৰেও মানুহৰ হকে শক্তিশালীভাৱে মাত দি আহিছে। কেতিয়াবা নিজৰ অলক্ষিতে বা কোনো সাময়িক উত্তেজনাৰ প্ৰভাৱত কোনোৱে অবৈজ্ঞানিক দৃষ্টিভংগীৰে আদর্শচ্যুত আৰু বিভ্রান্তিকৰ কিবা ক'ৰবাত লিখিলেও তেনে লিখাই জনসাধাৰণৰ শুভবুদ্ধিক প্ৰভাৱিত কৰিব পৰা নাই। এই বিষয়ত আমাৰ ৰাজনৈতিক সাহিত্যয়ো গণতান্ত্রিক মুক্ত চিন্তাৰ সীমা অতিক্রম কৰি যোৱা নাই। শোষণমুক্ত, দাৰিদ্রমুক্ত, অন্যায়-অবিচাৰমুক্ত এখন সমৃদ্ধ সমাজ প্ৰতিষ্ঠাৰ কাৰণে আহ্বান জনাবৰ সময়ত আমাৰ কবি-সাহিত্যিকসকলে ৰাজনৈতিক বিৰোধ-বিসম্বাদক প্ৰধান্য নিদি, সামাজিক ন্যায় আৰু মানৱতাকে প্ৰাধান্য দিছে। সাহিত্যিক মানদণ্ডৰ বিচাৰত নহ'লেও, আদর্শ উদ্দেশ্যৰ বিচাৰত এইটো এটা লক্ষ্য কৰিবলগীয়া কথা। ইয়ে আমাৰ সাহিত্যৰ পৰম্পৰাক শক্তিদান কৰিছে।

শিল্পী-সাহিত্যিকৰ অসন্তুষ্টি, ক্রোধ আৰু মানসিক বিদ্রোহৰ এক সামাজিক তাৎপর্য আছে। এই লোকসকল পূর্ণতাৰ সাধক, অপূর্ণতাৰ উপলব্ধিয়ে তেওঁলোকক অস্থিৰ কৰে, অসন্তুষ্ট কৰে। তেওঁলোক সৌন্দর্যৰ সাধক, সুন্দৰৰ অৱমাননাই, অসুন্দৰে, বীভৎসতাই তেওঁলোকক বেদনা দিয়ে, আঘাত দিয়ে। তেওঁলোক ন্যায়ৰ সপক্ষে যুঁজা অক্লান্ত সৈনিক, অন্যায়ে তেওঁলোকক ক্ষিপ্ত আৰু উত্তেজিত কৰি তোলে। তেওঁলোক মানৱতা, প্ৰেম, বিশ্বভ্রাতৃত্ব, শান্তি আৰু সাম্যৰ স্তাৱক, এইবোৰৰ স্খলন, পতন আৰু বিকৃতিয়ে তেওঁলোকক ক্রোধান্বিত কৰে। মানুহৰ পৃথিৱীত মানুহ লাঞ্ছিত হোৱা দেখি পৃথিৱীৰ বহু বিখ্যাত কবি-শিল্পী-সাহিত্যিক বিদ্রোহৰ বাণীৰে মানুহৰ চেতনা জাগ্রত কৰি ৰৰণীয় আসন লাভ কৰিছে। আমাৰ বহু প্ৰাচীন লিখাই মানৱমহত্ত্ব প্ৰতিষ্ঠাৰ, পুণ্যৰ, সত্য আৰু সুন্দৰৰ মহত্ত্বক স্বীকৃতি দিয়াৰ বাবে যুগান্তকাৰী ধর্মগ্রন্থৰ সম্মান লাভ কৰিছে।

আমাৰ বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠানবোৰে প্ৰকাশ কৰা আলোচনীবোৰ মই আগ্রহেৰে পঢ়োঁ। সেইবোৰত শিক্ষক-অধ্যাপকৰ লগতে ছাত্র-ছাত্রীসকলেও গল্প-কবিতা লিখে। সেইবোৰ লিখাতো এক নতুন, সুন্দৰ পৃথিৱী গঢ়াৰ স্বপ্নিল আদর্শবাদ মূর্তিমান

হৈ উঠা দেখি আনন্দ লাগে। চেমনীয়াসকলৰ, যুৱক-যুৱতীসকলৰ মনৰ এক পৱিত্ৰ অসন্তুষ্টিৰ মাজতে সুন্দৰ ভৱিষ্যৎ পৃথিৱী এখন ৰচনাৰ প্ৰতি, কল্পনাশ্ৰয়ী যি প্ৰতিশ্ৰুতিৰ প্ৰকাশ দেখা যায়, তাতো মানৱতাৰ প্ৰতি দায়িত্ববোধেই প্ৰেৰণাৰূপে ইন্ধন যোগোৱা লক্ষ্য কৰিব পাৰি।

সাহিত্যিকৰ দায়িত্ব সত্যৰ উদঘাটন কৰা, চেতনা জাগ্ৰত কৰা, অশুদ্ধ আৰু অকল্যাণৰ বিৰুদ্ধে ক্ৰোধ আৰু প্ৰতিবাদৰ উদ্ৰেক কৰা। দুৰ্নীতি, অশ্লীলতা, অশালীনতাৰ বিৰুদ্ধে, নৈতিক অৱক্ষয় আৰু ভাঙনৰ বিৰুদ্ধে পাঠকৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা। তেওঁলোকৰ প্ৰধান দায়িত্ব মানুহৰ মানুহ হৈ বাস কৰিব পৰাৰ উপযোগী এখন সুন্দৰ পৃথিৱী ৰচনাৰ কাৰণে মানুহৰ মনত এক মানসিক প্ৰস্তুতিৰ বাতাৱৰণ সৃষ্টি কৰা। সমাজ-সচেতন সাহিত্যিকে লেখনীৰ যোগেদি মানৱতাৰ ওপৰত আস্থা, জীৱনৰ প্ৰতি আৰু জনতাৰ প্ৰতি শ্ৰদ্ধা আৰু আস্থা আৰু মানুহৰ শ্ৰম আৰু শক্তি-সম্ভাৱনাৰ ওপৰত দৃঢ় বিশ্বাসৰ কলাসম্মত দলিল ৰচনা কৰিব পাৰিলে, সি জনসাধাৰণৰ মৰমৰ সম্পত্তি হ'বলৈ বাধ্য। প্ৰচাৰ সাহিত্যৰ যেগেদি এনে সম্পদ সৃষ্টি সম্ভৱ নহয়। অভিজ্ঞতা, অধ্যয়ন, বিশ্লেষণ আৰু গভীৰ জীৱনবোধক সাহিত্যবস্তুলৈ ৰূপান্তৰিত আৰু উন্নীত কৰিব পাৰিলেহে জনসমাজত তাৰ বাঞ্ছিত প্ৰতিফলন সম্ভৱ হ'ব পাৰে।

সাহিত্য সৃষ্টিৰ কাৰণে এটা অনুকূল বাতাৱৰণ আৰু পৰিবেশৰ দৰকাৰ। পৰিবেশৰ প্ৰতিক্ৰিয়া লেখনীৰ ওপৰত কম-বেছি নপৰি নেথাকে; কিন্তু পৰিবেশ বা বাতাৱৰণেই সাহিত্য সৃষ্টি কৰিব নোৱাৰে ৰৰং সাহিত্যিকেহে বহু সময়ত বাতাৱৰণ সৃষ্টি কৰি লয়। এজন শিল্পীৰ, এজন সাহিত্যিকৰ অন্য দহজন মানুহৰ নিচিনাকৈয়ে জৈৱিক, পাৰিবাৰিক, সামাজিক, অৰ্থনৈতিক সমস্যা থাকে. সাহিত্যিক এজন সামাজিক জীৱ। কল্পনা-অনুভূতি, মনন-চিন্তনৰ বিষয়ত তেওঁ আনতকৈ বেলেগ হ'ব পাৰে; কিন্তু সাহিত্যিক বা শিল্পী হোৱা বাবেই তেওঁ আনতকৈ বেলেগ বা উচ্চ বা বিশেষ বুলি ভৱাটো ব্যক্তি-কেন্দ্ৰিকতাৰ আৰু অসামাজিক মনোবৃত্তিৰ লক্ষণ মাথোন। সমাজৰ পৰা নিজক আঁতৰাই ৰাখিলে, লেখকে সমাজ-সত্যৰ বাস্তৱ অভিজ্ঞতা অৰ্জন কৰিব কেনেকৈ? বাতৰি কাকতে ঘটনাৰ খবৰ দিয়ে, জীৱনৰ খবৰ নিদিয়ে। বুৰঞ্জীত অতীত কালৰ ঘটনা-পঞ্জীৰ বৰ্ণনা থাকে, জীয়া জীৱনৰ চিত্ৰ নেথাকে। জীৱনক একাষৰীয়াকৈ থৈ বা জীৱনৰ মাজত নোসোমোৱাকৈ জীৱনভিত্তিক বাস্তৱ সাহিত্য ৰচিত হ'ব নোৱাৰে। এই কাৰণেই জীৱনৰ সমস্যাৰ সম্মুখীন নোহোৱাকৈ সাহিত্যত জীৱনৰ সমস্যাৰ প্ৰকৃত ৰূপায়ণ হ'ব নোৱাৰে। সাহিত্যিক জীৱনক চিনি পাব লাগিব, বুজি পাব লাগিব, জীৱনৰ সমস্যাৰ মাজত সোমোৱাৰ সাহস সাহিত্যিকৰ থাকিব লাগিব, নহ'লে কেৱল কল্পনাৰ সহায়ত জীৱনৰ পূৰ্ণৰূপ যথাযথভাৱে মূৰ্তিমান হৈ উঠিব বুলি আশা কৰিব নোৱাৰি। সাহিত্যিকৰ সাহিত্যিক পৰিচয়ৰ উপৰিও এটা সামাজিক পৰিচয়ো আছে। এই পৰিচয়েৰে পৰিচিত হ'বলৈ নিবিচৰাৰ বা সংকোচ কৰাৰ অন্য নাম পলায়নপৰতা বা বাস্তৱবিমুখতা।

আমাৰ দেশত পৰাধীনতাৰ যুগত সাহিত্যিকসকলক ৰাজনীতিৰ পৰা আঁতৰাই ৰাখিবৰ চেষ্টা কৰা হৈছিল। আনকি সাহিত্যৰ আলাচনীয়েও 'কোনো ৰাজনৈতিক আলোচনাক ঠাই দিয়া নহ'ব' বুলি নিয়মাৱলীত ঘোষণা কৰিছিল। তত্ৰাচ আমাৰ বহু সাহিত্যিকেই ৰাজনৈতিক সমস্যাৰ জগতখনৰ পৰা আঁতৰি থাকিব পৰা নাছিল আৰু আঁতৰি থাকিব খোজাও নাছিল। স্বাধীনতা সংগ্ৰামত উদগনি যোগোৱাত আমাৰ সাহিত্যকসকলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। সাহিত্যিকসকল জাতীয় বিবেকৰ প্ৰবক্তা, জাতীয় চিন্তা-আদৰ্শৰ প্ৰতিভূ, জনতাৰ সমগ্ৰ চেতনাৰ বাৰ্তাবাহক আৰু সূত্ৰধাৰ। তেওঁলোকৰ সাহিত্যিক চেতনা সমাজৰ প্ৰতিটো ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক সমস্যাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সমাজৰ বিবৰ্তন আৰু ৰূপান্তৰৰ ক্ষেত্ৰত তেওঁলোকে একে সংগ্ৰামৰ অংশীদাৰ। তেওঁলোকে সমাজৰ পৰা নিজক আছুতীয়াকৈ ৰাখিব খুজিলে, সমাজেও তেওঁলোকক আছুতীয়াকৈয়ে এৰি যাব। জনতাৰ আশা-আকাংক্ষাৰ সহযোগী হিচাপে শিল্পী-সাহিত্যিকে নিজৰ সৃষ্টিৰ ৰূপ দিব নোৱাৰিলে, তেওঁলোকৰ সৃষ্টিয়ে পূৰ্ণতা লাভ কৰিব নোৱাৰে। সাহিত্যিক সংবাদদাতা নহয়, স্ৰষ্টা। সমাজত তেওঁৰ ভূমিকা। স্ৰষ্টাৰূপে, কাৰিগৰৰূপে; তেওঁৰ সৃষ্টিৰ আহিলা সমাজ জীৱনৰ বৈচিত্ৰ্যপূৰ্ণ আশা-আকাঙ্ক্ষ, সংগ্ৰাম-সংঘাত, হীনতা-মহত্ত্বৰ নানাৱৰণীয়া সত্য। স্ৰষ্টাৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিবৰ কাৰণে জনতাৰ সংগ্ৰামৰ, জনতাৰ জীৱনৰ মাজৰ পৰা সাহিত্যিকে সৃষ্টিৰ সমল গোটাব পাৰিব লাগিব। জীৱন সংগ্ৰামত লিপ্ত জনতাৰ জগতখনেই সাহিত্যিকৰ জগতখন, মানুহৰ পৃথিৱীখনেই সাহিত্যিকৰ সৃষ্টিৰ জগত। কোনো কাৰণত জীৱনৰ কোনোবা এটা দিশ সাহিত্যৰ মজিয়ালৈ নননাকৈ থাকি, সাহিত্যিকে জীৱনৰ পূৰ্ণাংগ চিত্ৰ দাঙি ধৰিব নোৱাৰে।

সাহিত্যিকৰ জগতখন চিন্তা, কল্পনা আৰু অনুভূতিৰ জগত। তেওঁলোকৰ হৃদয়সংবাদী সৃষ্টিৰে তেওঁলোকে জগতৰ মংগলকামী সংগ্ৰামত প্ৰেৰণাৰ ইন্ধন যোগাব পাৰে। সাহিত্যিকৰ সৃষ্টিয়ে জনসাধাৰণক উদ্বুদ্ধ কৰিব পাৰে, সংগ্ৰামত অংশগ্ৰহণ কৰিবলৈ উদগনি যোগাব পাৰে, অসত্য অশুভৰ স্বৰূপ উদঙাই দেখুৱাই, সত্য আৰু কল্যাণৰ প্ৰতি আগ্ৰহ আৰু প্ৰত্যয় জন্মাব পাৰে। জীৱনৰ প্ৰতিকূল শক্তিবোৰৰ বিৰুদ্ধে কঠোৰতম মানসিক প্ৰতিবাদ গঢ়ি তুলিব পাৰে, অবহেলিত আৰু নিৰ্যাতিত মানুহৰ প্ৰতিষ্ঠাৰ কাৰণে তেওঁলোকৰ শক্তিৰ বিষয়ে তেওঁলোকক সজাগ কৰি দিব পাৰে। শিল্পী সাহিত্যিকৰ বাহিৰে আৰু কাৰ ভাষাত দেশেপ্ৰেমে এক দিগন্তস্পৰ্শী ব্যাপ্তি লাভ কৰিব পাৰে? আন কোনো দেশৰ অতীত, বৰ্তমান আৰু ভবিষ্যতক শিল্পী-সাহিত্যিকৰ সমান ভাল পাব জানে? নিপীড়িতক শিল্পী-সাহিত্যিকৰ সমান ভাল পাব জানে? নিপীড়িত মানুহৰ হকে আৰু কোনে ইমান নিভীক, নিঃস্বাৰ্থভাৱে মাত মাতিব পাৰে? অচল পুৰণিৰ বিৰুদ্ধে আপোচহীন যুদ্ধ ঘোষণা কৰাত, সুস্থ নতুনক সাদৰ আহ্বান জনোৱাত, সংহতি, সম্প্ৰীতি, একতা, ভ্ৰাতৃত্বৰ বাণীৰে উদ্বুদ্ধ কৰাত শিল্পী-সাহিত্যিকতকৈ আন কোনো অধিকতৰ শক্তিশালী ভূমিকা গ্ৰহণ কৰব পাৰে? অতীত, বৰ্তমান, ভবিষ্যতক সামৰি, সমগ্ৰ পৃথিৱীৰ মানৱ সমাজক সামৰি, সাহিত্যিকৰ বাহিৰে আৰু কোনো হৃদয়ৰ লগত হৃদয়ৰ সংযোগ ৰচনা কৰিব পাৰে? এই শক্তিৰ বিষয়ে সাহিত্যিকসকল সজাগ থকা দৰকাৰ। শিল্পী-সাহিত্যিকসকল এই ক্ষেত্ৰত সাধাৰণ হৈও অসাধাৰণ, নিৰ্বিশেষ হৈও বিশিষ্ট। এই বাবেই তেওঁলোক নেতা, চিন্তানায়ক, যুগশ্ৰেষ্টা। কাৰোপৰা একো নিবিচাৰোঁ, কাৰোপৰা একো নোপোৱাকৈ, মানুহৰ মৰ্যাদা আৰু অধিকাৰ ৰক্ষাৰ কাৰণে, সত্য আৰু সৌন্দৰ্যৰ কাৰণে নিজৰ সমগ্ৰ সৃজনীশক্তিক শিল্পী-সাহিত্যিকৰ নিচিনাকৈ আন কোনো আহুতি দিব পাৰে?

এই বিষয়ে সজাগ আৰু সচেতন নেথাকিলে কোনো শিল্পী-সাহিত্যিক মানুহ হিচাপেও মহৎ হ'ব নোৱাৰে, স্ৰষ্টা হিচাপেও মহৎ হ'ব নোৱাৰে। মহৎ সৃষ্টিৰ কাৰণে এক মহৎ হৃদয়ৰো প্ৰয়োজন, উচ্চ উদ্দেশ্য অবিহনে উচ্চ সাহিত্য সৃষ্টি হ'ব নোৱাৰে। সমগ্ৰ পৃথিবীৰ মানুহৰ হৈ মত মতাৰ অধিকাৰ লাভ কৰিব লাগিলে, সাহিত্যিকে সেই অধিকাৰ লাভৰ যোগ্য হৈ উঠা প্ৰয়োজন। এই যোগ্যতা অৰ্জনৰ কাৰণে শিল্পী-সাহিত্যিকে চিৰন্তন মানৱীয় প্ৰমূল্যবোধক বুজি পাব লাগিব। ৰ'গানৰ কোলাহলৰ সীমাত এই প্ৰমূল্যই ধৰা নিদিয়ে। মানৱতাৰ গভীৰ মৌন নিনাদৰ মাজত শিল্পী-সাহিত্যিকে তাৰ সন্ধান কৰিব লাগিব। সাহিত্যিক স্ৰষ্টাই নহয়, দ্ৰষ্টাও।

যুগে যুগে মহাপুৰুষসকলে, কবিসকলে, শিল্পীসকলে মানুহক এক মহত্তোমহীয়ান ৰূপত প্ৰতিষ্ঠা কৰিবলৈ বিচাৰি আহিছে। সাহিত্যই মানুহক এনে মহৎ ৰূপত চাবলৈ শিকায়, দেশ-কাল-পাত্ৰৰ ঊৰ্ধত মানুহক মানুহৰূপে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰে।

কিন্তু পৰম লজ্জা আৰু দুৰ্ভাগ্যৰ কথা যে মানুহেই মানুহক আটাইতকৈ বেছি লাঞ্ছিত কৰিছে, অপমানিত কৰিছে, আঘাত কৰিছে। যুদ্ধ-বিগ্ৰহৰ যোগেদি পৃথিবীত যিমান মানুহ হত্যা কৰিছে, কোনো হিংস্ৰ জন্তুৱে তাৰ সহস্ৰাংশও হত্যা কৰা নাই। সুসভ্য মানুহে সমূহীয়াভাৱে নৰহত্যা কৰিবৰ কাৰণে, দুৰ্বলক পদানত কৰিবৰ কাৰণে নানা প্ৰকাৰৰ ভয়ানক মাৰণাস্ত্ৰ উলিয়াইছে; ধ্বংসকাৰী কৌশল উলিয়াইছে। বহু সময়ত, কোনো কোনো দেশত ৰাষ্ট্ৰশক্তিয়ে নাইবা সাম্প্ৰদায়িক অথবা গোষ্ঠী বিবেচনাই মানুহক স্বতন্ত্ৰ ব্যক্তিগত চিন্তা আৰু সৃষ্টিক নিজৰ তলতীয়া আৰু বহতীয়া কৰিবৰো প্ৰয়াস কৰে। ফলত শিল্পী-সাহিত্যিকৰ চিন্তা আৰু সৃষ্টিৰ স্বতন্ত্ৰতা ব্যাহত হয়, খৰ্ব হয়। শিল্পী-সাহিত্যিক হৈ পৰে ৰাষ্ট্ৰ যন্ত্ৰৰ প্ৰয়োজনীয় এক যান্ত্ৰিক মুখপাত্ৰ, নাইবা কোনো ন্যস্তস্বাৰ্থৰ সবাক প্ৰতিনিধি। সাহিত্যিকৰ নিজস্ব মৌলিক সৃষ্টিপ্ৰতিভা হৈ পৰে ৰাষ্ট্ৰশক্তি বা ন্যস্তস্বাৰ্থৰ অন্ধ স্তাবক। পৃথিবীৰ সাহিত্য-শিল্পৰ ইতিহাসত এনে স্তাবক সংখ্যা নিচেই তাকৰ।

ভাৰতৰ আন কোনো কোনো ভাষাত হোৱাৰ দৰেই অসমীয়া ভাষাতো, লেখকৰ জ্ঞাতেই অজ্ঞাতেই কেতিয়াবা সত্যবৰ্জিত, সংকীৰ্ণ, বিদ্বেষবিষপূৰ্ণ আৰু পক্ষপাতদুষ্ট অপসাহিত্যৰ সৃষ্টি নহৈ থকা নাই। সাধাৰণভাৱে এইবোৰে কোনো কোনো লোকৰ মনত ক্ষোভ আৰু অসন্তুষ্টিৰ জন্ম দিয়াই নহয়, বহু সময়ত তা প্ৰতিক্ৰিয়া সামাজিক জীৱনকেও বিষাক্ত কৰিছে। ফলত এনে লিখাই সমন্বয় আৰু সংহতিৰ বাতাবৰণ সৃষ্টি কৰাৰ পৰিবৰ্তে বিৰোধ, বিভেদ আৰু অনৈক্যৰ কাৰণহে হৈ পৰিছে। ই দুৰ্ভাগ্যজনক কথা।

সাহিত্যই সংহতি, সম্প্ৰীতি আৰু সৌহাৰ্দ্যৰ পৰিবেশ সৃষ্টি কৰাটোহে কাম্য। পাৰস্পৰিক শ্ৰদ্ধা আৰু সহানুভূতিয়েহে এই ক্ষেত্ৰত প্ৰয়োজনীয় ৰবৰডলি যোগাব পাৰে।

শিল্পী-সাহিত্যিকসকল সময়ৰ চাহিদা পূৰণকাৰী (Time server) হ'লে স্থায়ী প্ৰমূল্যবোধক মৰ্যাদা দিবলৈ সক্ষম হ'ব নোৱাৰে। তেনে সৃষ্টিৰ স্থায়ী আবেদনো নাথাকে। তেনে সৃষ্টিৰ প্ৰভাৱো সময়সাপেক্ষ।

জন-জীৱনক শ্ৰদ্ধাসহকাৰে সাহিত্যৰ বিষয়বস্তু কৰিব নোৱাৰিলে, জন-জীৱনৰ বিভিন্ন সমস্যাক সাহিত্যত যথাৰ্থভাৱে প্ৰতিফলিত কৰিব নোৱাৰিলে, সাহিত্য জনতামুখী নহয়। জীৱনৰ সহজ অভিজ্ঞতাক সাহিত্য সৃষ্টিৰ নামত জটিল কৰি তোলাত পাণ্ডিত্যৰ প্ৰদৰ্শনী হ'ব পাৰে; কিন্তু তাত কোনো মহৎ সাহিত্যৰ স্বাক্ষৰ নাথাকিবও পাৰে।

আজিও শতকৰা ৭২ ভাগ ভাৰতীয় মানুহৰ চকুক নিৰক্ষৰতাৰ আন্ধাৰে ঢাকি ৰাখিছে। সাহিত্যৰ জগতখন তেওঁলোকৰ কাৰণে এক অনাৱিষ্কৃত মহাদেশ। অথচ তেওঁলোকেই দেশৰ অৰ্থনীতিৰ নিৰ্মাতা, ৰাজনীতিৰ ভাগ্যনিৰ্ণায়ক, দাৰিদ্ৰ্য, কুসংস্কাৰ আৰু প্ৰাচীন ধ্যান-ধাৰণাৰ মাজত ছেপাখাই থকা আৰু আধুনিক সভ্যতাৰো আও-ভাও বুজিব নোৱাৰা তেওঁলোকৰ মন আৰু আত্মাক আজিৰ যুগৰ পোহৰৰ আশীৰ্বাদৰ সংস্পৰ্শলৈ অনাৰ দায়িত্ব কেৱল প্ৰশাসকৰে নহয়, শিল্পী-সাহিত্যিকৰো।

জনসাধাৰণে বুজিব আৰু উপভোগ কৰিব পৰা ভাষাৰে জনসাধাৰণৰ হাঁহি-কান্দোন, আশা-নৈৰাশ্য, সংগ্ৰাম-সংঘাতক সাহিত্যত ফুটাই তুলিব নোৱাৰিলে, সাহিত্য জনসাধাৰণৰ নিজস্ব সম্পদৰূপে স্বীকৃত হ'ব নোৱাৰে।

বৰ্তমান আমাৰ সকলো ৰাষ্ট্ৰীয় আঁচনি গাঁওমুখী বা জনতামুখী কৰাৰ ব্যৱস্থা কৰা হৈছে। আমাৰ সাহিত্যকো জনতামুখী কৰিব পাৰিলে, আমাৰ প্ৰচেষ্টাই এক সামগ্ৰিক ৰূপ লাভ কৰিব আৰু সি আমাৰ সমাজ বিৱৰ্তনত অৰিহণা যোগাব।

আমাৰ সাহিত্যক আমি সকলো প্ৰকাৰ সাম্ৰাজ্যবাদী, প্ৰতিক্ৰিয়াশীল প্ৰভাৱৰপৰা সম্পূৰ্ণ মুক্ত কৰিব নোৱাৰা পৰ্যন্ত সি নিজস্বতাৰ শক্তিৰে বলীয়ান হ'ব নোৱাৰে। পশ্চিমৰ সাম্ৰাজ্যবাদী শক্তিবোৰে আৰু আমাৰ দেশৰো সামন্ত ভাৱবাহী চিন্তাধাৰাৰ পৰম্পৰাই এক ক্ষয়িষ্ণু, ভাৱবাদী, বাস্তৱৰ লগত সম্পৰ্কহীন ভাৱমণ্ডল জীয়াই ৰাখি দেশবাসীক পশ্চাৎমুখী কৰি ৰাখিছিল। মুক্ত চিন্তা কৰাৰ পৰিৱেশ গঢ়ি উঠিবলৈ দিয়া নাছিল। ক্ৰমাৎ আমাৰ সাহিত্যৰ জগতখনত দেশৰ সাধাৰণ মানুহৰ ঠাই নোহোৱা হৈ আহিছিল। নিজৰ ভাষাৰ প্ৰতি অৱজ্ঞা, নিজৰ সাহিত্যৰ প্ৰতি অনাস্থা, নিজৰ ৰীতি-নীতি, আচাৰ-বিচাৰৰ প্ৰতি উদাসীনতা এইবোৰে আমাৰ জাতীয় চেতনা আৰু আত্ম-সম্মানবোধ লোপ পোৱাৰ পথ ৰচনা কৰিছিল। সাম্ৰাজ্যবাদী শাসন-শোষণৰ ফলত, সূক্ষ্ম কৌশলেৰে কৰা আমাৰ মস্তিষ্ক প্ৰক্ষালনৰ পৰিণামত আমাৰ শিক্ষিত শ্ৰেণী আৰু অশিক্ষিত শ্ৰেণীৰ মাজত অলংঘ্য ব্যৱধান গঢ়ি উঠিছিল।

আমাৰ স্বাধীনতা আন্দোলনে আত্মচেতনা কিছুদূৰ ঘু�ৰাই আনিছিল, স্বদেশী আন্দোলনে দেশৰ বাস্তৱৰ প্ৰতি চকু দিয়াৰ বাতাবৰণ সৃষ্টি কৰিছিল; কিন্তু দেশ স্বাধীন হোৱাৰ পিছত এতিয়াও বিভিন্ন ভেশত অতি চতুৰভাৱে সাম্ৰাজ্যবাদী আৰু সামন্তযুগীয় ভাৱাদৰ্শই সৰ্বসাধাৰণৰ জীৱনবৃত্তক আগুৰি আছে। আমাৰ আজিৰ কবিতাত, সাহিত্য-সমালোচনাত, চিত্ৰ-ভাস্কৰ্যত, কবি, শিল্পী বা সমালোচকৰ বাহিৰে আনে বুজিব নোৱাৰা বহুত কিছুৰ সৃষ্টি হৈছে। অস্তিত্ববাদ, প্ৰতীকবাদ, অতিবাস্তৱবাদ, বিমূৰ্তবাদ, চেতনাস্ৰোতবাদ আদিৰ আমদানি হৈছে - সেয়া আধুনিক মননশীলতাৰ লগত পৰিচয়ৰ নিদৰ্শন; কিন্তু এই বাদবোৰ প্ৰৱৰ্তন-প্ৰচলন কৰোঁতে আমাৰ সৰ্বসাধাৰণ পাঠক শ্ৰেণী বাদ পৰি গৈছে নেকি বিচাৰ কৰি চোৱাৰ দৰকাৰ আছে। পাঠকৰ বোধশক্তি আৰু লেখকৰ জটিল সৃষ্টিৰ মাজৰ ব্যৱধানে আমাৰ সাহিত্যৰ বিকাশৰ ক্ষতি কৰা নাইনে? এনেকুৱা কৰাতে আমাৰ সাহিত্য-আলোচনীবোৰৰ অকাল মৃত্যুৰ কাৰণটোও কিজানিবা সোমাই আছে।

সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো হিংস্ৰীবাদ, জীৱনৰ ওপৰত অনাস্থাবাদ, দায়িত্বহীনতাবাদ, তথাকথিত প্ৰাচীন মুক্ত জীৱনলৈ ঘুৰি যোৱা প্ৰাকৃতিকতাবাদ, (প্ৰকৃতাৰ্থত বন্য, আৰণ্যক, অসামাজিক, অশ্লীল যৌনতাবাদ বা দেহ-সৰ্বস্বতাবাদ) আদি আধুনিক অনাচাৰৰ বিষক্ৰিয়াও সমাজত বিয়পি পৰিছে। উলংগ হোৱাটো, বন্য হোৱাটো, ঘৰবাৰী এৰি দেশে-বিদেশে ভাং খাই ঘুৰি ফুৰাটো কেনেকৈ আধুনিক সভ্যতাৰ বিৰুদ্ধে প্ৰতিবাদ হ'ব পাৰে বুজা টান। এইবোৰে আমাৰ যুৱক সমাজৰ এচামক বিভ্ৰান্ত নকৰি থকা নাই। এটা ৰোগেৰে আন এটা ৰোগক আৰোগ্য কৰিব নোৱাৰি। ধনতন্ত্ৰই কদাকাৰ কৰি তোলা সুস্থ, পৰিমাৰ্জিত, মানৱীয় প্ৰমূল্যসম্বলিত সভ্যতা-সংস্কৃতিক হিংস্ৰীবাদেৰে ৰক্ষা বা উদ্ধাৰ কৰিব নোৱাৰি। বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰে মানুহৰ লগত মানুহৰ সম্পৰ্কৰ কিছু পৰিবৰ্তন আনিছে; কিন্তু সভ্যতা-সংস্কৃতি-সমাজৰ অস্তিত্বক উলংঘা কৰি কেৱল নিজক নিজৰ মতে লৈ ফুৰাই হিংস্ৰী হৈ কোনো নতুন সভ্যতা গঢ়িব নোৱাৰি। বৌদ্ধিক নৈৰাজ্যবাদ এক মনোহৰ ভাববিলাসিতা হ'ব পাৰে; কিন্তু তাত কোনো বৰ্তমানৰ নিশ্চিত প্ৰত্যয় আৰু ভৱিষ্যতৰ নিৰ্ভৰযোগ্য প্ৰতিশ্ৰুতি থাকিব নোৱাৰে।

বিজ্ঞানে আজি আমাৰ জীৱনৰ প্ৰতিটো মুহূৰ্তক নিয়ন্ত্ৰিত আৰু প্ৰভাৱিত কৰিছে, তথাপি আমাৰ মৌলিক সাহিত্যত বিজ্ঞানে আজিও উচিত ঠাই পোৱা নাই। সমাজ আৰু ব্যক্তি জীৱনৰ, বিশ্লেষণ-বিন্যাস বৈজ্ঞানিক দৃষ্টিভংগীৰে কৰিব নোৱাৰালৈকে আমাৰ সাহিত্যৰ পৰা অবাস্তৱতা অন্তৰ্হিত নহয়। পুৰণিৰ পৰা নতুনলৈ, ধনতন্ত্ৰৰ পৰা সমাজবাদলৈ উত্তৰণৰ সময়ত সমাজ যি সংঘাত সংঘৰ্ষৰ সম্মুখীন হৈছে, তাৰো প্ৰতিফলন আমাৰ সাহিত্যত হোৱা দৰকাৰ। সত্যাশ্ৰয়ী নহ'লে সাহিত্য বাস্তৱ হ'ব নোৱাৰে।

সাহিত্যিক কেৱল সত্য আৰু সুন্দৰৰ সাধকেই নহয়, তেওঁ অসত্য, অসুন্দৰ আৰু দুষ্কৃতি-দুৰ্নীতিৰ বিৰুদ্ধে এক আপোচহীন যোদ্ধাও। আমাৰ সাহিত্যিকৰ লেখনীত জীৱন-বিৰোধী, প্ৰতিক্ৰিয়াশীল শক্তিবোৰৰ বিৰুদ্ধে প্ৰতিবাদ যিমানে শক্তিশালী হৈ উঠিব, সিমানে জাতিটো শক্তিশালী হৈ উঠিব; সাহিত্যও শক্তিশালী হ'ব। জনতাৰ প্ৰাণৰ বাণী যদি কবি-সাহিত্যিকৰ লেখনীৰ মাজত বাংময় হৈ নুঠে, দুখী-দৰিদ্ৰ, বঞ্চিত-লাঞ্ছিতৰ অন্তৰ্বেদনা আৰু ক্ৰোধ যদি মৰ্মস্পৰ্শী ৰূপত ব্যক্ত হৈ নুঠে, তেন্তে সাহিত্যই মানুহৰ হৃদয় স্পৰ্শ কৰিব নোৱাৰে। লেখকৰ পৰ্যবেক্ষণ, উপলব্ধি আৰু আন্তৰিকতাই জীৱন-সত্যক সাহিত্যিক সত্যলৈ উন্নীত কৰাৰ শৈলী আয়ত্ত কৰিব নোৱাৰিলে সাহিত্য অনুশীলনৰ ভৱতে বৈ যায়, সৃষ্টিৰ মহত্ব আৰু সৌন্দৰ্যৰে সমুজ্জ্বল হৈ নুঠে। এই কাৰণেই বোধহয় লেখক হোৱাটো সহজ, সাহিত্যিক হোৱাটো টান। মৌলিক সাহিত্য সৃষ্টি সেয়ে এক কঠিন কাম, তাৰ মূল্য আৰু আকৰ্ষণো বেছি, প্ৰকৃততে সাহিত্যিক হোৱাটো বিলাসিতা নহয়, এক কঠিন প্ৰত্যাহ্বানৰ জগত মুখামুখি হোৱা।

সাহিত্যৰ জগতখনত পক্ষ মাথোন দুটা : লেখক আৰু পাঠক। এটা কবিতাৰ, এটা গল্পৰ, এখন নাটক বা উপন্যাসৰ লেখক এজন;-সহস্ৰজন হ'লেও, পাঠকো এজনেই- প্ৰতিজন পাঠকেই একক। এই দুয়োৰে মাজৰ যোগসূত্ৰ এক সংবেদনশীল, ভাৱোদ্দীপক সহজবোধ্য ভাষা; সাহিত্যিকে সৃষ্টি কৰা এক চিনিৰ বুজিৰ পৰা পৃথিৱী। লেখকে যদি পাঠকৰ কথা মনত নৰখাকৈ লিখে, পাঠকে যদি সেই লিখা গ্ৰহণ কৰিবলৈ অক্ষম হয়, লেখক-পাঠকৰ সম্পৰ্ক ৰচনা হ'ব পাৰে জানো?

পৰিবৰ্তিত পৰিস্থিতি আৰু পৰিৱেশে জীৱনলৈ জটিলতা আনিছে, লেখক-পাঠক উভয়ৰে জীৱনলৈ। ভাৱ-ভাষা-প্ৰকাশভংগীয়ে ইয়াৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰে। এই জটিলতাই সৃজনীশীল লেখনীত ঠাই পোৱাত আপত্তিৰ কাৰণ নাই; কিন্তু কষ্ট কৰি ভাষা আৰু বক্তব্যক দুৰ্বোধ্য আৰু জটিল কৰাত যি কৃত্ৰিমতা আছে, কষ্ট কৰি অস্বাভাৱিকভাৱে সহজ কৰাতো একেই কৃত্ৰিমতা আছে, কষ্ট কৰি অস্বাভাৱিকভাৱে সহজ কৰাতো একেই কৃত্ৰিমতা আছে। স্বাভাৱিকতাতহে আন্তৰিকতা প্ৰকাশ পায়।

পাঠকৰ যিদৰে লেখকৰ প্ৰতি প্ৰীতি-শ্ৰদ্ধা আছে; লেখকৰো জানো পাঠকৰ প্ৰতি একেই শ্ৰদ্ধা-বিবেচনা থকা বাঞ্ছনীয় নহয়? পাঠকৰ প্ৰতি লেখকৰ এনে শ্ৰদ্ধা থাকিলেহে সাহিত্যই জনপ্ৰিয়তা অৰ্জন কৰিব পাৰে। জনপ্ৰিয়তাই সাহিত্যৰ প্ৰসাৰ আৰু সমৃদ্ধিত ইন্ধন যোগায়, লেখক-পাঠকৰ সম্বন্ধ ঘনিষ্ঠ কৰে। দুয়োৰে মাজত এক অদৃশ্য সহধৰ্মিতাৰ জন্ম দিয়ে।

লেখকে কাৰ কাৰণে লিখে আৰু কিয় লিখে, — এয়া বহুকলীয়া প্ৰশ্ন। আজিৰ লেখকে অন্ততঃ এষাৰ কথা ক'ব পৰা হৈছেঃ তেওঁলোকে ৰজা-মহাৰজাৰ কাৰণে নিলিখে, কোনো ব্যক্তি বিশেষৰ মনঃসন্তুষ্টিৰ কাৰণে নিলিখে। তেওঁলোকে কেৱল নিজৰ কাৰণেও নিলিখে।

তেন্তে?

আমাৰ শতকৰা ২৮ ভাগ মানুহ মাত্ৰ সাক্ষৰ হৈছে, ৭২ ভাগ নিৰক্ষৰ আৰু অশিক্ষিত। দুৰ্বোধ্য জটিল বিষয় লৈ, কঠিন ভাষাত লিখা 'সাহিত্যিৰ' কিমানখিনি তেওঁলোকে বুজিব পাৰে? কিমানখিনি বুজি উপলব্ধি কৰিব পাৰে? আৰু কিমানখিনি উপলব্ধি কৰি তাৰ দ্বাৰা অনুপ্ৰাণিত বা প্ৰভাৱান্বিত হ'ব পাৰে? ইয়াৰপৰা আনন্দইবা আহৰণ কৰিব পাৰে কিমানখিনি? আমাৰ আলোচনীবোৰ সৰ্বসাধাৰণৰ পাঠকৰ উপযোগী কৰিব নোৱাৰাৰ কাৰণেই, সেইবোৰে পাঠকক আকৰ্ষণ কৰিব পৰা নাইনেকি? এনে কিবা কাৰণেই আমাৰ কিতাপৰ বিক্ৰী সীমাৱদ্ধ কৰিছে নেকি? নে সাধাৰণভাৱে সাহিত্যৰ প্ৰতি অনীহাৰ অন্য কোনো অজ্ঞাত কাৰণ আছে? দ্ৰুতগতিত পৰিবৰ্তন হ'বলৈ ধৰা সমাজখনৰ সফল আৰু বিশ্বাসযোগ্য চিত্ৰায়ন আৰু মূল্যায়ন আমাৰ সাহিত্যই সাৰ্থকভাৱে কৰিব পৰা নাইনেকি? নে আমাৰ সাহিত্যিক শ্ৰেণী আৰু পাঠক শ্ৰেণীৰ শিক্ষা-জ্ঞান-দৃষ্টিভংগী, ধাৰণা আৰু উপলব্ধিৰ মাজত এক দুৰতিক্ৰম্য ব্যৱধান আছে? আজিৰ আমাৰ সাহিত্যিকে অভিজাত শ্ৰেণীৰ মনোৰঞ্জনৰ কাৰণে

নিলিখে; কিন্তু বুদ্ধিবৃত্তি, চিন্তা-কল্পনাত সাহিত্যিকসকলেই এক অভিজাত শ্রেণী হৈ পৰা নাইতো? তেওঁলোকে সেই শ্রেণীটোৰ কাৰণেই লিখা নাইতো?

লেখক আৰু পাঠকৰ মাজৰ সম্পৰ্ক যদি ভাৱানুভূতিৰ নিঃস্বাৰ্থ দিয়া লোৱাৰ সম্পৰ্ক হয়, তেন্তে লিখনীৰে পাঠকৰ মন আৰু হৃদয়ক জয় কৰিবৰ কাৰণে লেখকে যিদৰে পাঠকৰ ৰুচি, জ্ঞান আৰু ৰসচেতনাৰ প্ৰতি সজাগ হৈ প্ৰয়োজন হ'লে নিজৰ সৃষ্টিক পাঠকৰ গ্ৰহণীয় হ'ব পৰাকৈ সহজবোধগম্যতাৰ স্তৰলৈ নমাই নিবলৈ সংকোচ বোধ কৰিব নেলাগিব, সেইদৰে পাঠকেও লেখকৰ ভাষা-শৈলী, চেতনা আৰু বক্তব্যক উপলব্ধি কৰিবৰ কাৰণে নিজক প্ৰস্তুত কৰিবলৈ কিছু শ্ৰম কৰিবলৈকো সাজু থাকিব লাগিব। লেখকে পাঠকৰ ৰুচিক সন্তুষ্ট কৰাতো নিজৰ সৃজনীশক্তিক সীমিত ৰাখিব নোৱাৰে, পাঠকৰ ৰুচি গঢ়িবৰ যত্ন কৰাও দৰকাৰ। তাত কোনো দোষণীয় কথা নাই। লিখনীৰ বা বক্তব্যৰ অভিনৱত্বই পাঠকৰ মনত সৃষ্টি কৰা কৌতূহল স্থায়ী নহ'বও পাৰে, লিখনীৰ নিজস্ব আবেদনেৰে স্থায়ী সাঁচ বহুৱাব পাৰিলেহে সাহিত্যৰ প্ৰভাৱ স্থায়ী হয়।

আমাৰ সাহিত্যিকসকললৈ মোৰ এটা বিনীত অনুৰোধ জনাবৰ মন যায় ঃ আপোনালোক বাস কৰা চা�ৰিওফালৰ বৈচিত্ৰ্যময় জগতখনৰ বিচিত্ৰ জনজীৱনক, জনজীৱনৰ হাঁহি-অশ্ৰু, আশা-নৈৰাশ্য, সংকল্প-সংগ্ৰাম, কল্পনা-অনুভূতিক শ্ৰদ্ধা, আস্থা আৰু সমবেদনাৰে পৰ্যবেক্ষণ কৰি নিজৰ কলাশৈলীৰ মনোগ্ৰাহী মাধ্যমেৰে সাহিত্যত দাঙি ধৰক, তেওঁলোকক তেওঁলোকৰ জীৱনৰ ছবিখন চাবলৈ সুযোগ দিয়ক, তেওঁলোককে লৈ লিখক, তেওঁলোকৰ বিষয়ে লিখক। তেতিয়া তেওঁলোকেই হ'ব আপোনাৰ লিখনীৰ শ্ৰদ্ধাশীল পাঠক, সমালোচক, গ্ৰাহক। লেখকজন জনতাৰ এজন হ'ব পাৰিলে, জনতায়ো চিৰকাল লেখকক নিজৰ কৰি ৰাখিব। লেখক-পাঠকৰ একাত্মতা সাহিত্যৰ কাৰণে এক আপুৰুগীয়া সম্পদ।

ৰাজনৈতিক বিবেচনাত অসমৰ ভৌগোলিক সীমা আগতকৈ বহুত সংকুচিত হ'ল। ই আক্ষেপৰ কথা হ'লেও, ইতিহাসৰ অলংঘ্য বিধান বুলি ইয়াক মানি লোৱা হৈছে। এসময়ত অসমৰ ভিতৰত থকা যিবোৰ জিলা আজি একোখন স্বতন্ত্ৰ ৰাজ্য হৈছে, সেইবোৰ ৰাজ্যৰ ৰাইজৰ লগত অসমবাসীৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক সম্পৰ্ক নতুনকৈ ৰচিত হ'ব ধৰিছে। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখন সমিলমিলেৰে পাৰস্পৰিক শ্ৰদ্ধা আৰু বুজা-বুজিৰ মাজেদি এটা নতুন গোট হিচাপে গঢ়ি উঠাটো সম্ভৱ বুলি বহুতৰে বিশ্বাস জন্মিছে।

আকাৰত সৰু হোৱাৰ পিছতো অসমৰ বুকুত প্ৰায় ডেৰ কোটি মানুহ এতিয়াও আছে। এই ৰাজ্যখনৰ কাৰণে অসমীয়া ভাষাক ৰাজ্যিক শাসকীয় ভাষাৰূপে স্বীকৃতি দিয়া হৈছে। অসমৰ ভিতৰৰ বিশ্ববিদ্যালয়কেইটাত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰা হৈছে। অসমত অসমীয়া ভাষাৰ আত্মৰক্ষাৰ যুগ শেষ হৈছে বুলি আমি নিৰ্ভয়ে ক'ব পৰা হৈছোঁ। ভৌগোলিক আয়তনত ডাঙৰ হোৱা বা জনসংখ্যা বেছি হোৱাৰ ওপৰতে যে ভাষা-সাহিত্যৰ সমৃদ্ধি নিৰ্ভৰ নকৰে, সেই কথা আমি লক্ষ্য কৰিছোঁ। আনকি অসমীয়া ভাষা-ভাষীৰ সংখ্যা বাঢ়িলেই যে অসমীয়া সাহিত্য সমৃদ্ধ বা শক্তিশালী নহ'ব পাৰে, সেই কথাও আমি উপলব্ধি নকৰি থকা নাই।

আমাৰ সাহিত্য যদি নিজস্ব বৈশিষ্ট্য, শক্তি আৰু মৌলিক গুণেৰে সুপ্ৰতিষ্ঠিত হয়, সি আনকো আকৰ্ষণ নকৰি নেথাকে। কোনো এটা ভাষা ৰাজনৈতিক বা ভৌগোলিক কাৰণত অঞ্চল বিশেষৰ মাজত সীমাৱদ্ধ হৈ থাকিব পাৰে, কোনো সাহিত্যক সীমাৰ মাজত আৱদ্ধ ৰাখিব নোৱাৰে। ভাষাৰ সীমা অতিক্ৰম কৰি সি দেশ-দেশান্তৰলৈ বিয়পি যায়।

কছ দেশত জাৰতন্ত্ৰ থাকোতেই ৰচিত হোৱা কছ সাহিত্য, বিশেষকৈ গল্প আৰু উপন্যাস আমাৰ দেশৰ সাহিত্য-ৰস-পিপাসুসকলৰ আদৰৰ বস্তু হৈ উঠিছিল। তেতিয়া সেই দেশৰ লগত আমাৰ দেশৰ কোনো সম্পৰ্কই নাছিল বুলিব পাৰি। কছ ভাষা অহা নাছিল। অনুবাদৰ যোগেদি কছ সাহিত্য আহিছিল।

ভাৰতত ইংলণ্ডৰ সাম্ৰাজ্যবাদী শাসন চলি থকা কালতো আৰু ভাৰতে তাৰ বিৰুদ্ধে যুঁজি থকা অৱস্থাতো ইংৰাজী সাহিত্যৰ অমৰ সাহিত্যিকসকল— মিল্টন, শ্ৱেক্সপীয়েৰ, ছেলী, কীটছ, ডিকেন্স আদি— আমাৰ আপোন আছিল; আজি ইংৰাজ যোৱাৰ পিছতো সেই সাহিত্যিকসকল আমাৰ পৰ হৈ যোৱা নাই।

এতিয়াও জাপানৰ লগত আমাৰ ঘনিষ্ঠ সাংস্কৃতিক সম্পৰ্ক গঢ়ি উঠা নাই। জাপানী ভাষাও আমি নাজানো। তথাপি জাপানী কবিতাৰ মনোগ্ৰাহী আংগিকে অনুবাদৰ মাজেদিয়ে আহি আমাৰ কবি আৰু অন্যান্য ৰসামোদীক চমৎকৃত আৰু অনুপ্ৰাণিত নকৰাকৈ থকা নাই। জাপানী কবিতাৰ সূক্ষ্ম, নিটোল মনোধৰ্মিতা আৰু মোহনীয় চিত্ৰকল্প কবিতাপ্ৰেমীৰ কাৰণে

বিস্ময়ৰ বস্তু। দুশাৰী হাইকুৰ মাজেদি আমি যেন বিচাৰি পাওঁ, অথচ আমি বহুতেই হয়তো জাপানী মানুহকে দেখা নাই।

আমেৰিকাৰ ধনতান্ত্ৰিক আদৰ্শ, বৈদেশিক নীতি, কূটাঘাতমূলক কাৰ্য আৰু বৰ্ণ-বৈষম্যক আমি কাহানিও সমৰ্থন নজনাও। সাম্ৰাজ্যবাদী সমৰপ্ৰস্তুতিক আমি গৰিহণা দিওঁ; কিন্তু সেই আমেৰিকাৰে ৱাল্ট হুইটমেন, হাৰ্ভাৰ্ড ফাষ্ট, চিনক্লেয়াৰ লুইচ, টেনেচি ৱিলিয়ামচ আদি সাহিত্যিকক আমি আন্তৰিক শ্ৰদ্ধাৰে গ্ৰহণ কৰোঁ। আমেৰিকাৰ হৈও এওঁলোক পৃথিৱীৰ, ধন-জন, জননিয়ে তেওঁলোকৰ মানৱতাৰ বাণীক তল পেলাব পৰা নাই।

সৃষ্টিগুণৰ মহানতাৰে, গভীৰ মানৱীয় আৱেদনেৰে, নিজস্ব প্ৰত্যয় আৰু প্ৰতিভাৰে আৰু সহজ সুন্দৰ কলা আৰু আংগিকেৰে আমাৰ চিনাকি অসমখনৰ বিচিত্ৰ ৰূপকে যদি আমি সাহিত্যত জীৱন্ত কৰি তুলিব পাৰোঁ, তেন্তে ভূগোলৰ সীমা চেৰাই, ভাষাৰ প্ৰাচীৰ পাৰ হৈ আমাৰ অসমীয়া সাহিত্যও পৃথিৱীৰ সাহিত্যিক সমাজৰ তথা সাধাৰণ পাঠক গ্ৰহণীয় আৰু ৰৰণীয় নহৈ নেথাকে। বিশ্ব গ্ৰহণীয় কৰিব লাগিলে আমাৰ সাহিত্যৰ মাজলৈ সমগ্ৰ বিশ্বখন টানি আনিব নেলাগে। আমাৰ মানুহৰ মাজেদি প্ৰতিভাত হোৱা বিশ্বমানৱতাৰ স্বৰূপ প্ৰকাশ কৰিব পাৰিলে আৰু জানিলে, সেয়ে সাৰ্বজনীনতা লাভ কৰিব।

আমাক আত্মবিশ্বাস লাগে আৰু মানুহক চিনি পোৱাৰ আৰু বুজি পোৱাৰ ঐকান্তিক শিক্ষা লাগে আৰু আমাৰ নিজস্বতাৰ সন্দে-হাতীত স্বাক্ষৰ আমাৰ সৃষ্টিত থাকিব লাগে।

আনৰপৰা অনুকৰণ কৰি, আনৰ ভাৰ লৈ, ছাঁ লৈ কিবা ৰচনা কৰি আনলৈ আগবঢ়ালে আনে তাত যদি নিজৰে প্ৰতিচ্ছায়া দেখা পায়, তেন্তে তালৈ আকৰ্ষিত হ'ব কিয়? অসমীয়া দৰ্জিয়ে চুট সী পেৰিচলৈ পঠিয়ালে তাত কোনোৱে নিপিন্ধিবও পাৰে; কিন্তু আমাৰ গুণাফুলবছা মেখেলা, ৰিহাই তাতো কৌতুহল আৰু আকৰ্ষণ সৃষ্টি কৰিব বুলি আশা কৰিব পাৰি। অসমৰ সৃজনীশীল সাহিত্যিকসকল প্ৰেৰণা, আংগিক বিষয়বস্তু আৰু ধ্যান-ধাৰণাৰ কাৰণে পৰমুখাপেক্ষী হৈ থাকিলে অসমীয়া সাহিত্যই নিজস্ব বিশেষত্বৰে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম নহ'ব। অসমীয়া সাহিত্য হৈছে ই বিশ্বসাহিত্য হ'বলৈ আশা কৰিব পাৰে। সমগ্ৰ বিশ্বক লৈ কিবা লিখিলেই সি বিশ্বসাহিত্য নহয়, মানুহৰ সাহিত্যহে বিশ্বসাহিত্য।

ৰাজনীতিত আৰু সমাজসেৱাৰ কামত আমাৰ ডেকা-গাভৰুসকল সক্ৰিয়ভাৱে জড়িত হৈ পৰাটো এটা আশাপ্ৰদ লক্ষণ। তেওঁলোকে গধুৰ সামাজিক দায়িত্ব লৈছে আৰু ল'ৰৰ কাৰণে প্ৰস্তুত হৈছে। ৰাজনীতিৰ পথাৰখন মুকলি কাৰণে প্ৰায় সকলো যুৱক-যুৱতীয়েই সেইফালে আগবাঢ়িছে।

কিন্তু অসমীয়া সাহিত্যত আমাৰ নতুন পুৰুষ বা যুৱক-যুৱতীসকলৰ ভীৰতো নায়েই, পদক্ষেপো অস্থিৰ। শিক্ষিতৰ সংখ্যা বাঢ়িছে, অভিজ্ঞতাৰ বৈচিত্ৰ্য বাঢ়িছে, দেশ-বিদেশৰ সাহিত্যৰ লগত পৰিচিত হোৱাৰ সুযোগ বাঢ়িছে, সাহিত্য চৰ্চাৰ পৰিৱেশো কিছু অনুকূল হৈছে। প্ৰতিভা, শিক্ষা আৰু প্ৰতিশ্ৰুতিৰ অভাব নাই যদিও, আমাৰ যুৱক-যুৱতীসকলে আশানুৰূপভাৱে দৃঢ়তাৰে সাহিত্য-ক্ষেত্ৰত নামিছে বা আশাশুধীয়াকৈ সাহিত্য চৰ্চাত ধৰিছে বুলি কোৱাৰ সাহস আমাৰ নাই। অসম সাহিত্য সভাই নতুন লেখকসকলক উদাৰভাৱে স্বীকৃতি জনাই আদৰি লৈছে। নিজৰ মতে, মুক্তভাৱে সাহিত্য সৃষ্টি কৰাত অকণো বিধিপথালি দিয়া নাই। অসম সাহিত্য সভাৰ কবি সন্মিলনতেই হওক বা লেখক-শিৰিৰতেই হওক, নতুন লেখকসকলক অংশ গ্ৰহণ কৰিবলৈ সাদৰ নিমন্ত্ৰণ জনোৱা হৈছে আৰু তেওঁলোক আহিছেও; কিন্তু দুই-এজনত বাদে প্ৰায় সকলো নতুন লেখকেই চাকৰি বা ৰাজনীতিত সোমাই পৰি সাহিত্যলৈ পাহৰি যোৱাটো অসমীয়া সাহিত্যৰ কাৰণে দুৰ্ভাগ্যজনক কথা। সাহিত্যলৈ নতুন ভাৱধাৰা, নতুন আংগিক, নতুন বিষয়-বস্তু ডেকাসকলে নানিলে কোনে আনিব? সাহিত্যসেৱাও জানো দেশপ্ৰেম নহয়? সমাজৰ পুনৰ নিৰ্মাণত যুৱকসকলে ৰাজনীতিৰ মঞ্চৰ আশ্ৰয় লোৱাৰ উপৰি সাহিত্যৰ আশ্ৰয়ো জানো ল'ব নোৱাৰে? তেওঁলোকৰ সৃষ্টি নতুনত্বেৰে তেওঁলোকে পুৰণি চাম সাহিত্যিকক পাছ পেলাই থৈ তেওঁলোকৰ মজিয়া দখল কৰক।

প্ৰতিভা প্ৰতিশ্ৰুতি থকা, সাহিত্য কৰ্মত লাগিবলৈ আগ্ৰহ থকা ডেকা-গাভৰুসকলে বিচিত্ৰ নতুন নতুন সৃষ্টিৰে আমাৰ সাহিত্যক জীৱন্ত আৰু সমৃদ্ধ কৰিবলৈ আগবাঢ়ি আহক। নহ'লে তেওঁলোকে বয়সস্থ সাহিত্যিকসকলৰপৰা যদি আত্মজীৱনী আৰু অতীত সোঁৱৰণীৰ নিৰস ৰচনাৰ বাহিৰে পঢ়িবলৈ আৰু একো নেপায়, তাৰ বাবে নিজকেহে জগৰীয়া কৰিব লাগিব, আনক জগৰীয়া কৰিব নোৱাৰিব।

নতুন সাহিত্য-আলোচনী দুই-এক সংখ্যা ওলায়ে নোহোৱা হৈ যোৱাৰ দৰে, নতুন লেখক-লেখিকাও গা দেখা দিয়েই

নোহোৱা হৈ যোৱাটো হতাশাজনক কথা। যথেষ্টসংখ্যক সাহিত্য আলোচনী নথকাৰ কাৰণে বা আলোচনীবোৰ স্বল্পায়ু হোৱাৰ কাৰণে নতুন লেখক-লেখিকাসকলে সাহিত্যজগতত আত্মপ্রকাশ কৰিব পৰা নাইনেকি?

বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা চেমনীয়া সাহিত্য চ'ৰাবোৰৰ পৰা আশানুৰূপাভাৱে পৈণত ডেকা সাহিত্যিক ওলাই অহা নাই। কবিতা লিখাৰ বয়স ষোলত আৰম্ভ হৈ বিশত শেষ হ'ব লাগে বুলি অসমীয়া নতুন কবিসকলে কিবা নিয়ম কৰি লৈছে বুলি আমি বিশ্বাস নকৰোঁ।

বামপন্থী ৰাজনৈতিক আদর্শৰদ্বাৰা উদ্বুদ্ধ হৈ কোনো কোনো নতুন লেখকে (establishment আৰু status quo ৰ বিৰুদ্ধে প্রতিবাদ বা অভিযোগ প্রকাশ কৰা দেখা যায়; কিন্তু সমাজ-মানসত বা আমাৰ সাহিত্যজগতত তেনে লিখাই কিবা উল্লেখযোগ্য প্রতিক্রিয়াৰ সৃষ্টি কৰিছে বুলি ক'ব নোৱাৰি।

নতুন লেখক-লেখিকাসকলে শক্তিশালী লিখনী আগবঢ়োৱাত আত্মনিয়োগ নকৰিলে অসমীয়া সাহিত্য আগুৱাই যাব নোৱাৰে। তেওঁলোকেই বর্তমানৰ হতাশাজক পৰিস্থিতিৰপৰা আমাৰ সাহিত্যক ৰক্ষা কৰিব লাগিব।

অলপতে অসমৰ লেখিকাসকলৰ 'অসম লেখিকা সস্থা' নামৰ এখন সম্মিলন হৈ গ'ল। অন্য বহু ৰাজ্যতকৈ অসমত শিক্ষিতা মহিলাৰ সংখ্যা বেছি; কিন্তু সেই অনুপাতে সাহিত্য ক্ষেত্রত তেওঁলোকৰ সংখ্যা কম, ৰচণিৰ পৰিমাণ আৰু তাকৰ। অসম সাহিত্য সভাৰ হৈ যোৱা ৪০ গৰাকী সভাপতি-সভানেত্রীৰ ভিতৰত আজিলৈকে এগৰাকী মাথোন সভানেত্রী হৈছে। সংগঠিতভাৱেই হওক বা গাইগুটীয়াকৈয়ে হওক, আমাৰ মহিলাসকলে মূল্যবান লেখনী আগবঢ়াওক এয়ে আমাৰ আশা। নাৰী আৰু শিশুৰ মনৰ গভীৰৰ কথা লেখিকাসকলে মনোৰমকৈ আৰু নির্ভৰযোগ্যকৈ দাঙি ধৰিব পাৰে। আমাৰ ভাষাত এনে কিতাপৰ নিতান্ত অভাৱ। অসম সাহিত্য সভাই লেখিকা সস্থাক স্বীকৃতি দি আদৰণি জনাইছে। নতুন প্রেৰণা আৰু উদ্দীপনাৰে লেখিকাসকল সাহিত্যক্ষেত্রলৈ আগবাঢ়ি অহাটো আমি কামনা কৰিছোঁ।

দ্বিতীয় মহাসময়ৰ পিছতে পুৰণি অংগসজ্জা সলাই, পুৰণি মজিয়াৰপৰা নতুন মজিয়ালৈ ওলাই আহি বহুতকে বিব্রত আৰু আতংকিত কৰি তোলা নতুন কবিতাই বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ দেওনা দেই আহি এতিয়া স্থায়ী আসন লৈ বহিছে। পুৰণি কবিতাই নতুন কবিতাক বাট এৰি দিছে। প্রকাশৰ নতুনত্ব আৰু সাহসিকতা, দৃষ্টিভংগীৰ বিভিন্নতা, বক্তব্যৰ অভিনৱত্ব, শব্দ-উমপা আদি ব্যৱহাৰৰ অগতানুগতিকতা আৰু কবিৰ নিজস্ব কাব্যিক ব্যক্তিত্ব প্রতিষ্ঠাৰ সংকোচহীনতা এই কবিতাৰ বিশেষত্বৰূপে স্বীকৃত হৈছে; কিন্তু আধুনিক কবিতা সহজ নহয় আৰু আমাৰ পাঠকসকলৰ সৰহভাগেই সহজ ৰসাস্বাদনৰ অভিলাসী সাধাৰণ মানুহ। কবিসকলে মাজে মাজে এই পাঠকসকলৰ কথা মনত ৰাখিলে সহজ হোৱাৰ অপযশেৰে কবিতা কলংকিত হ'ব বুলি ভয় খাবলগীয়া নাথাকিব বুলিয়ে আমাৰ ধাৰণা। জাতীয় স্বীকৃতি লাভ কৰা শাৰীৰ কবিতাই সাধাৰণ অসমীয়া কবিতাপ্রেমীবো যদি স্বীকৃতি লাভ কৰিব পাৰে, সি জানো কাৰোবাৰ ক্ষতি কৰিব? আমাৰ কবিসকলো কবিতা-ৰসগ্রাহী সমাজখনৰ ভিতৰৰে একোজন বুলি ভাবিবলৈ সুবিধা পালে পাঠক সাধাৰণ নিশ্চয় কবিসকলৰ প্রতি অধিক আকৃষ্ট হ'ব।

সেনাপতিৰ হাতৰ পতাকালৈ চাই অনুসৰণকাৰী সৈন্য আগুৱাই যায়। কবিতা কবিৰ হাতৰ পতাকা। সেই পতাকাৰ ইংগিতে সমাজক তেওঁৰ ভাৱাদর্শনৰ অনুসৰণ কৰিবলৈ হাত বাউলি দিয়ে। সেনাপতিৰ হাতৰ পতাকা বহুত দূৰে দূৰে আগে আগে গ'লে, পাছৰ অনুগামীসকলে পতাকাৰ ৰং-ৰূপ চিনিব নোৱাৰিও পাৰে।

অসমৰ কবি আৰু পাঠকৰ মাজৰ দূৰত্ব কম হয় মানে ভাল। মেলাহি কাঁহীত সুস্বাদু খাদ্য থৈ বগলীক খাবলৈ নিমন্ত্রণ জনালে বগলীৰ চকুৰ তৃপ্তি হ'ব পাৰে, পেটৰ ভোক নমৰে।

অসমীয়াত আজি কিছু বছৰৰ ভিতৰত কিছু উপন্যাস লিখা হৈছে। তাৰে খনচেৰেকে প্রতিষ্ঠা আৰু জনপ্রিয়তাও লাভ কৰিছে; কিন্তু উপন্যাসত আমাৰ সমাজৰ বিভিন্ন স্তৰৰ জন-জীৱনৰ সফল আৰু পূর্ণাংগ ৰূপায়ণ এতিয়াও হোৱা নাই আৰু উপন্যাস ৰচনাই পূৰঠ গদ্য ৰচনাৰ যি সুযোগ দিয়ে তাকো পূর্ণভাৱে আয়ত্তাধীন কৰা হৈছে বুলি ক'ব নোৱাৰি। গভীৰ জীৱনবীক্ষাৰ অৱলম্বনত, সাৱলীল গতিশীল ভাষাত, জীৱনৰ বিচিত্র ৰূপ সংযমেৰে, সাহসেৰে আৰু সত্যনিষ্ঠাৰে কলাসম্মাতভাৱে ৰচনা কৰাৰ দক্ষতা অর্জন কৰিব পাৰিলে অসমীয়া ঔপন্যাসিক বিশ্বৰ স্বীকৃতি আৰু সমাদৰ লাভ কৰিবলৈ

সক্ষম হ'ব। ইয়াৰ কাৰণে আমাৰ উপন্যাস লেখকৰ শ্ৰম আৰু সাধনা অপৰিহাৰ্য। বিষয়বস্তু উদ্ভেদনী, একাগ্ৰতাৰ দৰকাৰ। নাটকৰ দাৰিদ্ৰ আমাৰ বহুদিনীয়া পুৰণি। একোটা বছৰত এখনকৈও মঞ্চসফল বা সাহিত্যিক গুণসম্পন্ন নাটক নোলোৱাটো হতাশাজনক কথা। সংখ্যাৰ পৰিমাণেৰে গুণৰ জোখ কৰিবলৈ গ'লে বেডিঅ' নাটকৰ ক্ষেত্ৰতো হতাশ হ'বলগীয়া হয়। বিদেশী দুই-চাৰিখন ভাল নাটকৰ অনুবাদ আৰু অভিনয়ে বাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে; কিন্তু এনে নাটকৰ আবেদন নগৰ-মহানগৰৰ (elite) সকলৰ মাজতে সীমাবদ্ধ আছে। ব্ৰেখ্ ট্, পিৰাণ্ডেল্লো আদিৰ নাটকৰ পৰিবেশ পৰিপাৰ্শ্বৰ আমাৰ পৰিচিত সামাজিক বাস্তৱৰ লগত মিল কম। চিনাকি জীৱনৰ নাটকীয়তাই নাট্যকাৰক নাট ৰচনাৰ প্ৰেৰণা নিদিলে বিদেশী নাটকে দিব নোৱাৰে। নতুন দৃষ্টিভংগীৰে পুৰণি কাহিনীৰ নতুন নাট্যৰূপ দিয়াৰ প্ৰয়াসো হৈছে। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক দুৰ্নীতি, ভণ্ডামী আদৰ মুখা খুলি দিয়াৰ প্ৰয়াসো কোনো কোনো নাটকে কৰিছে। ভাৰতীয় অন্য ভাষাৰ নাটকৰ অনুবাদ আৰু অভিনয়ো হৈছে। কিছুমান একাংকিকা বক্তব্য ভাৰাক্ৰান্ত হোৱাৰ কাৰণে তাৰ সূক্ষ্ম ইংগিতধৰ্মিতাৰ আবেদন অসফল হৈছে। সমাজ-জীৱনলৈ নাটকীয়তা আহিছে; কিন্তু নাট্যকাৰৰ মনোজগতত তাৰ প্ৰতিক্ৰিয়াই ধৰা দিয়া নাই। এখন নতুন সমাজতহে এখন নতুন নাটকৰ জন্ম হ'ব পাৰে বুলি, নতুন সমাজৰ আবিৰ্ভাৱলৈ বাট চাই থাকিব নোৱাৰি। আজিৰ সংঘাত-সংঘৰ্ষ, ক্ৰোধ-হতাশা, আশংকা আৰু সম্ভাৱনাৰ অৱলম্বনত আমাৰ নতুন নাটকৰ সৃষ্টি হ'ব পাৰে। নাটকৰ জনপ্ৰিয়তা সদায় আছে। ভাল নাটকৰ স্থায়ী আবেদনো আছে। বিষয়বস্তু আৰু কলাকৌশলৰ সুসমন্বয় নহ'লে নাটক হয় আংগিক-সৰ্বস্ব নাইবা প্ৰচাৰধৰ্মী হৈ পৰে। বিদেশৰ বা ভাৰতৰ অন্য ভাষাৰ পৰা অনুবাদ কৰা নাটকে আমাৰ নাটকৰ অভাৱ কিছু পূৰণ কৰিব পাৰে; কিন্তু নাট্য আন্দোলন গঢ়ি তুলিব নোৱাৰে। ইতিহাসৰ নতুন নাট্যৰূপে প্ৰেৰণা আৰু আমোদ দিব পাৰে। বৰ্তমান জীৱনৰ জীয়া সমস্যাক বাইজক চকুৰ আগত দাঙি ধৰিব নোৱাৰি।

আমাৰ নাট্যাসেৰী দৰ্শকৰ অভাৱ নাই। প্ৰতিভাসম্পন্ন অভিনেতা-অভিনেত্ৰীৰ অভাৱ নাই। সংগঠন গঢ়ি তোলাৰ পৰিৱেশনো অভাৱ নাই। বাইজ আৰু চৰকাৰৰো সহায়-সহযোগৰ অভাৱ নাই, তথাপি আমাৰ নাট্যসাহিত্য ইমান নিশকতীয়া হৈ থকাটো দুৰ্ভাগ্যজনক কথা।

চেলুলইদৰ মাধ্যমেই বৰ্তমান শতিকাৰ আটাইতে শক্তিশালী মাধ্যম। হয়তো অহা শতিকাতো বিজ্ঞানে অন্য কোনো সুলভ মাধ্যম আৱিষ্কাৰ নকৰা পৰ্যন্ত ইয়েই আটাইতকৈ জনপ্ৰিয় মাধ্যম হৈ থাকিব। জ্যোতিপ্ৰসাদৰ যুগৰ পৰা অসমীয়া কথাছবিৰ বহুদূৰ আগুৱাই আহিল; কিন্তু যি দুঃসাহসী প্ৰেৰণাই মহৎ সৃষ্টি সম্ভৱ কৰি তোলে, সেই প্ৰেৰণাৰ কাৰণে আমি চিনাকি ৰস-সমৃদ্ধ জীৱনৰ বৈচিত্ৰ্যৰ কাষ নেচাপি, কথাছবিৰ বিষয়বস্তু, গীত, বেশভূষা, ভাৱভংগী আদি বোম্বাই, কলিকতা আদিৰ পৰা আমদানি কৰি, আনৰ সৃষ্টিৰ ছাঁত নিজৰ অস্তিত্ব ঘোষণা কৰাত আত্মপ্ৰসাদ লাভ কৰি থাকিলে সাধাৰণ দৰ্শকে যদি অসমীয়া ছবি চোৱাতকৈ, অন্য ছবি চোৱাৰ তাগিদ বেছিকৈ অনুভৱ কৰে, তাৰ বাবে কাক জগৰীয়া কৰিব? ভাল বস্তু ভালকৈ পৰিবেশন কৰিব জানিলে বাইজে আদৰি নলৈ নাথাকে— কিতাপেই হওক বা কথাছবিয়েই হওক।

চৰকাৰে ফিল্ম ফাইনান্স কৰ্পৰেচন গঠন কৰিছে, কাহিলিপাৰাত ষ্টুডিঅ' নিৰ্মাণ কৰিছে, বহুখিনি সুযোগ আগবঢ়াইছে। কাহিনীকাৰ, গীতিকাৰ, সু�ৰকাৰ, শিল্পী, কলাকুশলী-সকলোৰে সুসংবদ্ধ যৌথ প্ৰচেষ্টাত অসমীয়াত সুস্থ, সুন্দৰ, আবেদনভৰা কথাছবি নিৰ্মাণ নোহোৱাৰ কাৰণ নাই।

ন্যস্ত স্বাৰ্থৰ লোকে যেতিয়া কলা-সংস্কৃতিক বাইজক বিভ্ৰান্ত কৰি শোষণ কৰাৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে, তেতিয়া কলাৰ মাংগলিক আৰু সামাজিক তাৎপৰ্যই ক্ষতিগ্ৰস্ত নহয়; যৌনতাপ্ৰধান, অসামাজিক, অবাস্তৱ, অশ্লীল কাহিনীযুক্ত কথাছবিয়ে সমাজৰ নৈতিকতাৰো ধ্বংস সাধন কৰে। শক্তিশালী কাহিনীৰ কলা-সম্মত উপস্থাপনৰ যোগেদি, সাহিত্যবস্তুৰ মূল আবেদনক চিত্ৰৰ জীৱন্ত মাধ্যমেৰে দাঙি ধৰি, সাধাৰণ দৰ্শকৰো সৌন্দৰ্য-গ্ৰাহিকা শক্তিক শ্ৰদ্ধা জনাব জানিলে, অসমীয়া কথাছবি বৰ্তমানৰ দুৰ্বলতাৰ পৰা মুক্ত হ'ব আৰু কথাছবি উদ্যোগো লাভজনক ব্যৱসায় হিচাপে গঢ়ি উঠিব। ভাল কাহিনী লৈ ভাল কথাছবি কৰিলে কথাছবিয়ে সামাজিক দায়িত্ব সুসম্পন্ন কৰিব পাৰিব। কাহিনী-সাহিত্যৰো সমাদৰ আৰু মৰ্যাদা বাঢ়িব।

আজি কিছুদিনৰ পৰা অসমীয়া চুটি গল্প ৰচনাত শিথিলতা দেখা গৈছে। যদিও গল্প ৰচনাৰ ধাৰা বন্ধ হোৱা নাই, তথাপি ত্ৰিশৰ পৰা ষাঠিৰ ভিতৰত যিমান বিষয়বস্তুৰ ওপৰত, যিমান বিচিত্ৰ মনোগ্ৰাহী চুটি গল্প লিখা হৈছিল, বৰ্তমানত সংখ্যা আৰু গুণ উভয়তে সেই গতি ৰক্ষা পৰা নাই। আংগিকতো বিশেষ নতুনত্ব অহা নাই। বিষয়বস্তুৰ নিৰ্বাচনতো চকুত পৰা বৈচিত্ৰ্য অতি

কম। পূৰ্বৰ ৰসসমৃদ্ধ গল্পৰ ঠাইত এতিয়া বুদ্ধিনিষ্ঠ গল্প লিখা হৈছে, মাজেমাজে দুই-এক গল্পৰ মাজেদি সমাজ মনৰ বেদনা আৰু অসন্তুষ্টিও প্ৰকাশ পাইছে; কিন্তু মৰ্মস্পৰ্শী আবেদন থকা ৰসোত্তীৰ্ণ গল্পৰ সংখ্যা সৰহ নহয়। কিছুমান চিত্ৰ বা ৰচনাকো (essay) গল্প নাম দি চলাই দিবৰ যত্ন কৰা হৈছে। গল্পৰ বিষয়বস্তুৰ অভাব হোৱা নাই। নতুন কলাকৌশল উদ্ভাবনৰ বাটতো বিশেষ বাধা নাই। অসমীয়াত চুটি গল্পৰ যুগ শেষ হ'ল বুলি ভাবিবৰ সময় এতিয়াও হোৱা নাই বুলিয়ে আমাৰ বিশ্বাস।

নতুন ৰসাল, নিটোল চুটি গল্প পঢ়িবৰ কাৰণে আমি বাট চাই আছোঁ। আমাৰ সমাজৰ পৰিবৰ্তনৰ চিত্ৰ আৰু সমস্যাই, বৈচিত্ৰ্য আৰু সংঘাত-সংগ্ৰামৰ ৰূপায়ণে আমাৰ চুটি গল্পক নতুন বৈশিষ্ট্যেৰে আকৰ্ষণীয় কৰি তোলক।

ড° বাণীকান্ত কাকতিকে প্ৰমুখ্য কৰি বৰ্তমানলৈকে আমাৰ বহুকেইজন পণ্ডিত লোকে পুৰণি আৰু বৰ্তমানৰ অসমীয়া সাহিত্যৰ সমালোচনা কৰিছে। বিশ্ববিদ্যালয়ৰ ডক্টৰেট ডিগ্ৰী আদিৰ কাৰণেও সাহিত্য বিষয়ক গৱেষণা হৈছে। সাহিত্যৰ যুগ অনুসৰি আৰু বিষয়বস্তু অনুসৰিও গৱেষণা কৰা হৈছে। এনে ধৰণৰ আলোচনা গৱেষণাই আমাৰ সাহিত্যৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰাৰ লগতে মূল্য নিৰ্ণয়লৈ প্ৰয়াস কৰিছে। বিদেশী লেখক আৰু সাহিত্যৰ বিষয়েও আৰু সমালোচনাৰ আদৰ্শ-পদ্ধতি আদি সম্পৰ্কেও প্ৰবন্ধাদি লিখা হৈছে। অসমৰ সাহিত্যানুৰাগী লোকসকল এই বিলাকৰদ্বাৰা উপকৃত হৈছে।

কিন্তু সকলো সমালোচনা বিজ্ঞানসম্মত, নিৰপেক্ষ আৰু নন্দনতাত্ত্বিকভাবে ব্যক্তিগত বিবেচনাৰ ঊৰ্ধৰ হৈছে বুলি ক'ব নোৱাৰি। আলোচকসকলৰ মতদ্বৈধতা তেওঁলোকৰ অধ্যয়ন আৰু চিন্তা-গৱেষণাৰ পৰিচায়ক। ভাৰতীয় বিচাৰধাৰা, মাৰ্ক্সীয় বিচাৰধাৰা, দ্বন্দ্বাত্মক বস্তুবাদী বা ঐতিহাসিক বস্তুবাদী বিশ্লেষণ, বিভিন্ন নন্দনতাত্ত্বিক থিঅৰিৰ সহায়ত মূল্য নিৰ্ধাৰণ আদিৰ প্ৰয়োগে সমালোচকসকলৰ পাণ্ডিত্য আৰু নিষ্ঠাৰ প্ৰমাণ দাঙি ধৰে; কিন্তু আলোচ্য বিষয়তকৈ তত্ত্বগত সূত্ৰ, ব্যাখ্যা অধিক গধুৰ হোৱাৰ কাৰণে সাধাৰণ পাঠকে সমালোচনাৰ বক্তব্যৰ বিষয়ে একো উৰাদিহ নেপায়। বহু সমালোচনাত কেৰেলাতকৈ গুটি দীঘল হোৱাৰ ফলত সাহিত্যিকজনৰ বিষয়েও বুজা হৈ নুঠে, সমালোচনাৰ বক্তব্যও দুৰ্বোধ্য হৈ ৰয়। বিদেশত সীয়াই অনা চোলাৰ জোখৰ মানুহ বিচাৰি ফুৰিলে কেতিয়াবা বিচাৰি পোৱা নাযাবও পাৰে। টুপীৰ জোখেৰে মূৰ পাবলৈ টান হ'ব পাৰে, মূৰৰ জোখেৰে টুপী বিচৰা বেয়া জানো? বিজ্ঞানসম্মত আধুনিক সাহিত্য-সমালোচনাৰ ৰীতি-পদ্ধতিক আমি স্বাগত জনাওঁ। তেনে সমালোচনাই লেখকসকলৰ নিজৰ সৃষ্টিৰ গুণাগণ আৰু পৰিস্থিতি বুজাত নিশ্চয় সহায় কৰিব; কিন্তু বৰ্তমান জনপ্ৰিয় হোৱা সমালোচনাৰ কোনো এক মানদণ্ডই সেই বিষয় শেষ কথা নহ'বও পাৰে আৰ কেতিয়াবা ৰোগতকৈ ঔষধ বেছি চোকা হ'লে লালুকিলৈ তপত পানীৰ যোগাৰ কৰাৰ অৱস্থাও হ'ব পাৰে।

১৯৩৯ চনত কটন কলেজৰ এজন বিজ্ঞানৰ ডেকা অধ্যাপকে ডিঙিত ফাঁচ লগাই আত্মহত্যা কৰিছিল। তাৰ ওপৰত মন্তব্য দি অধ্যাপক ড° বাণীকান্ত কাকতিয়ে কৈছিল ঃ "আত্মহত্যা কৰিলে কৰক; কিন্তু ৰসায়নৰ এজন ডেকা অধ্যাপকে চিপজৰী লগাই অন্য মানুহ মৰাদি নমৰি, অন্য কোনো বৈজ্ঞানিক উপায়ে আত্মহত্যা কৰিব নোৱাৰিলেনে?"

আমাৰ সমালোচকসকলে তৰ্কবাদ কৰে, দন-খৰিয়াল কৰে, কৰক; সাহিত্যৰ স্বাৰ্থত কৰক, ভাষাৰ স্বাৰ্থত কৰক, সাহিত্য-সংস্কৃতিৰ সম্পৰ্কে কৰক। এনে খৰিয়াল-তৰ্কবাদ সাহিত্যিকসুলভ হ'লেই ৰাইজে ৰং চাবলৈ সুবিধা পাব, কিছু শিকিবও পাৰিব। ম'হ যুঁজ ৰজায়ো চায়।

ম'হ যুঁজখন ম'হ যুঁজ যেন হ'ব লাগে। কেবল খোঁচাখুঁচি হ'লে ম'হ যুঁজ যেন নালাগে।

আমাৰ সাহিত্যিসকলক সাহিত্যৰ বিভিন্ন বিষয় সম্পৰ্কে সজাগ কৰি দি উন্নয়তৰ আৰু উচ্চতৰ সৃষ্টিৰ কাৰণে প্ৰেৰণা যোগাবৰ কাৰণেই যিসকলে সমালোচনা কৰে, সেইসকল ধন্যবাদৰ পাত্ৰ। বাট দেখুৱাই দিওঁতাজনক অন্ধয়ো ভাল পায়।

বিশ্ববিদ্যালয়ৰ ডক্টৰেট ডিগ্ৰীৰ কাৰণে সাহিত্য-সংস্কৃতিৰ বিশেষ বিশেষ বিষয়ৰ ওপৰত হোৱা স্বীকৃত গৱেষণা-পত্ৰ (থিচিছ)বোৰৰ মূল্য নিশ্চয় আছে; কিন্তু তাৰে কিছুমান 'প্ৰকাশৰ কাৰণে নহয়' বুলি ধৰা হয়। ডক্টৰেট ডিগ্ৰীৰ কাৰণে উপযুক্ত, অথচ প্ৰকাশৰ কাৰণে অনুপযুক্ত এই থিচিছবোৰৰ মুকলি সমালোচনাৰ থল নাই। হোৱা হ'লে সেইবোৰত মুকুতাই আছেনে শোকোতাই আছে বুজিব পৰা গ'লহেঁতেন।

জাতীয় বুৰঞ্জীৰ অধ্যয়নে সাহিত্য ৰচনাৰ প্ৰেৰণা যোগায়। আমাৰ শিল্প-সাহিত্য, ইতিহাস-সংস্কৃতি সম্পৰ্কীয় কিছুমান গৱেষণা-পত্ৰয়ো তেনে প্ৰেৰণা নোযোগাব বুলি ক'ব নোৱাৰি; কিন্তু গৱেষণা-পত্ৰ প্ৰধানকৈ ইংৰাজীতে দাখিল কৰাৰ নিয়ম হৈ আহিছে। অসমীয়া গৱেষকে গৱেষণা অসমীয়াত কৰাৰ ব্যৱস্থা হ'লে আৰু অন্ততঃ স্বীকৃত গৱেষণা-পত্ৰবোৰ প্ৰকাশ পালে

আমাৰ জ্ঞানৰ পৰিধি সম্প্ৰসাৰিত হ'ব, বিশেষজ্ঞসকলেও ৰাজহুৱা স্বীকৃতি পাব, সাহিত্যও সমৃদ্ধ হ'ব। বিশ্ববিদ্যালয়ৰ ডক্টৰেট ডিগ্ৰী পাবৰ কাৰণে লিখিব লগা থিচিছ লিখিবৰ কাৰণে অসমীয়া ভাষা আজিও অনুপযুক্ত হৈ আছে বুলি নাইবা ইংৰাজীৰ বাহিৰে (বহু সময়ত ভুল বা বা বেয়া ইংৰাজী) অন্য ভাষাৰে এনে থিচিছ লিখিব নোৱাৰি বুলি যিসকলে ভাবে সেইসকলে অসমীয়া ভাষাৰ অপমানহে কৰে। এম এ ডিগ্ৰীৰ কাৰণে উপযুক্ত ডক্টৰেট গৱেষণা পত্ৰ লিখিবৰ কাৰণে অনুপযুক্ত বুলি অসমীয়া ভাষাক অৱমাননা নকৰাই বাঞ্ছনীয়।

চিনাকি জীৱনৰ যথাযথ বৰ্ণনাক সাহিত্যৰ মৰ্যাদা দিব লাগিলে স্থূল যথার্থতাক ৰসসমৃদ্ধ কলালৈ ৰূপান্তৰ কৰাৰ ৰসায়ন প্ৰয়োগ কৰিব জানিব লাগিব। কল্পনাৰো এটা বাস্তৱ অস্তিত্ব আছে। কল্পনা শিল্পী-সাহিত্যিকৰ এক প্ৰয়োজনীয় অৱলম্বন।

প্ৰাচীন ভাৰতীয় সাহিত্যও কম বাস্তৱবাদী নাছিল; কিন্তু বাস্তৱবাদক স্থূলতাৰ অন্য ৰূপ বুলি দেখুউৱা নহৈছিল। এতিয়াও বৈজ্ঞানিক সত্য বা যথার্থতা আৰু সাহিত্যিক সত্যৰ মাজত পার্থক্য নোহোৱা নহয়। জ্ঞানৰ মাজেদি হোৱা আনন্দৰ উপলব্ধি আৰু ৰসৰ মাজেদি হোৱা আনন্দৰ উপলব্ধিৰ মাজত পার্থক্য আছে।

সাহিত্যত ৰিয়েলিজম বা বাস্তৱতাৰ নামত নগ্নতা, অশ্লীলতা, যৌনতা আদিয়ে এক ভয়াৱহ অৱস্থা পাইছেগৈ। বজাৰত দেখদেখকৈ বা চোৰাংকৈ এনে কিছুমান কিতাপ বেচা হৈছে যিবোৰে যেন দেখুৱাবৰ যত্ন কৰিছে যে নগ্ন যৌনতা বা মানুহৰ জান্তৱ পৰিচয়েই একমাত্ৰ পৰিচয়। সুস্থ, পৰিচ্ছন্ন জীৱনবোধৰ ঠাইত এনেবোৰ কিতাপে নানা বিচিত্ৰ, উলংগ বৰ্ণনাৰে, ৰং-বিৰিঙৰ ছবিৰে, নানা কদাকাৰ ইংগিতেৰে মানুহক দেহসর্বস্ব আৰু যৌনতাসর্বস্ব এক জন্তুৰূপে দাঙি ধৰি লাখ লাখ টকাৰ ব্যৱসায় কৰিছে। ফলত বেয়া কিতাপে ভাল কিতাপক বজাৰৰ কোণলৈ ঠেলি পঠিয়াইছে।

এনেবোৰ কিতাপৰ সৰহভাগ অন্য ভাষাৰপৰা স্বীকাৰ নকৰাকৈ অনুবাদ কৰি প্ৰকাশ কৰা হৈছে। কোনো কোনো জনপ্ৰিয় আৰু প্ৰতিষ্ঠিত লেখকেও ধনৰ কাৰণে, প্ৰকাশকৰ ফুচুলনিত এনে কিতাপ লিখাত ধৰিছে বুলি জনা যায়। এয়া আমাৰ কাৰণে দুর্ভাগ্যৰ কথা। এনে কুসাহিত্যই সমাজ কলুষিত কৰে, যুৱক-যুৱতীসকলক বিপথে নিয়ে, ব্যভিচাৰ অনাচাৰৰ বাট মুকলি কৰে। ৰাইজে এনে পুথিৰ লেখক আৰু প্ৰকাশকক তথা পৰিৱেশকক শক্তিশালীভাৱে বাধা দি এঘৰীয়া নকৰিলে, অকল চৰকাৰে একো কৰিব নোৱাৰে। মদ নিবাৰণতকৈ অশ্লীল সাহিত্য নিবাৰণী সমাজৰ কাৰণে অধিক প্ৰয়োজনীয় কথা।

যৌনতাতকৈ জীৱন বহুত ডাঙৰ আৰু পৱিত্ৰ। পুৰুষ-নাৰীৰ, যুৱক-যুৱতীৰ অসামাজিক স্থূল সম্পর্ক আকর্ষণীয় কৰি দাঙি ধৰি আমাৰ সমগ্ৰ যুৱমানসক বিপথগামী কৰাৰ এক চতুৰ ষড়যন্ত্ৰ চলি আছে। আমাৰ দেশৰ সার্বভৌমত্ব ৰক্ষা, ইয়াৰ প্ৰগতিক অব্যাহত ৰখাটো এদল ভ্ৰষ্ট চৰিত্ৰৰ নাগৰিকৰ দ্বাৰা সম্ভৱ নহয়; স্বাস্থ্যবান, চৰিত্ৰবান, সমাজৰ আস্থাভাজন লোকৰদ্বাৰাহে সম্ভৱ। আমাৰ যুৱক-যুৱতীসকলৰ চৰিত্ৰশক্তি দৃঢ় আৰু সুপ্ৰতিষ্ঠিত নহ'লে, জাতীয় শৃংখলা সুপ্ৰতিষ্ঠিত হ'ব নোৱাৰে। দেশপ্ৰেমতকৈ দেহপ্ৰেমক প্ৰাধান্য দি লিখা অশ্লীল কিতাপ সমাজৰ প্ৰগতি আৰু শৃংখলাৰ শত্ৰু। আমি সজাগ হ'ব লাগিব। যৌনবিলাস এটা জাতিৰ সৌন্দর্য-সাধনাৰ জোখ-কাঠী হ'ব নোৱাৰে। অশ্লীলতা নন্দনতাত্ত্বিক সত্য হ'ব নোৱাৰে। নগ্নতা মানুহৰ সভ্যতা-সংস্কৃতিৰ উচ্চতা আৰু বিকাশৰ বিজ্ঞাপন নহয়। ভেৱোণীয়া লেখকৰ বিকৃত আৰু সমাজ-ধ্বংসকাৰী সৃষ্টি কাহানিও সাহিত্য হ'ব নোৱাৰে।

ত্যাগৰ আনন্দ, জ্ঞানান্বেষণৰ গভীৰ তৃপ্তি, সৌন্দর্য-সাধনাৰ অনির্বচনীয় মধুৰতা, নতুন সত্য আৱিষ্কাৰৰ উল্লাস, নিজ কর্তব্য সম্পাদনৰ, ৰাজহুৱা উৎসৱত যোগদানৰ, দেশ-বিদেশ ভ্ৰমণৰ, এক কর্মবহুল পৱিত্ৰ জীৱন যাপনৰ, উচ্চতৰ প্ৰেম আৰু জ্ঞানৰ সহায়ত হৃদয় আৰু মনক ব্ৰতী কৰি জীৱনক মহৎ কৰাৰ মূল্য কাহানিও কোনো সমাজতে নোহোৱা হৈ নাযায়। সাহিত্যত এইবোৰৰ ঠাই নোহোৱা হোৱাৰ কি কাৰণ আছে? যি লিখনীয়ে সৌন্দর্য, মহত্ত্ব, কল্যাণ আৰু পৱিত্ৰতাৰ পথৰপৰা মানুহক আঁতৰাই আনে, সি সাহিত্য নহয়।

ব্ৰহ্মপুত্ৰৰ ৰান আৰু গড়াখহনীয়া ৰোধ কৰিবৰ কাৰণে আমি বহুৰি কোটি কোটি টকা খৰচ কৰিছোঁ। আমাৰ সাংস্কৃতিক মূল্যবোধৰ অৱমাননা আৰু জাতিটোৰ ভাঙন আৰু অৱক্ষয় ৰোধ কৰিবৰ জোখাৰে এক মানসিক বাতাৱৰণ গঢ়ি তুলিবৰ কাৰণে আমি সকলো প্ৰকাৰৰ ব্যৱস্থা ল'ব নোৱাৰিলে ভৱিষ্যতে আমি অনুতাপ কৰিবলগীয়া হ'ব পাৰে। সমাজ-মানস-ধ্বংসকাৰী সাহিত্য নোহোৱা হৈ গ'লেও সমাজৰ কোনো ক্ষতি নহয়।

আমাৰ সাহিত্যত গভীৰ পণ্ডিত্যপূর্ণ মৌলিক প্ৰবন্ধৰ সংখ্যা যিদৰে তাকৰ, আড়ম্বৰহীন, বিমল আনন্দ দান কৰিব পৰা

হাস্যৰসৰ সাহিত্যৰ পৰিমাণ বৰ কম। হাঁহি প্ৰাণ-প্ৰাচুৰ্যৰ পৰিচায়ক। অমসীয়া মানুহে হাঁহিব নজনা হৈছে জানো? বেজবৰুৱা, হলীৰাম ডেকা, মহীচন্দ্ৰ বড়া, মিত্ৰদেৱ মহন্ত, কুমুদ বৰুৱা আদি দৰে ৰঙৰ কিলেৰে কিলোৱাৰ ব্যৱস্থা আন লেখকসকলে কিয় কৰিবলৈ আগবাঢ়ি অহা নাই নেজানো। হাস্যৰসক 'গাজা' কৰি আড্ডাৰ মচলা কৰাত লাগি থাকিলে সাহিত্যৰ হাঁহিৰে সঁফুৰাৰ তলি উদং হ'ব। আনক লৈ নেহাঁহিলেও আমাৰ নিজকে লৈ নিজে হাঁহিবলৈকো জানো সমলৰ নাটনি হৈছে? এতিয়াৰ পৰা এশমান বছৰৰ পিছত কোনোবাই যদি এশ বছৰৰ আগতে অসমত হাঁহিব নজনা এবিধ মানুহ আছিল বুলি কোনোবা বিশ্ববিদ্যালয়ত থিচিছ দাখিল কৰি ডক্টৰ হয়, তেতিয়া এতিয়াৰ অসমীয়াৰ প্ৰেতাত্মাবোৰে চৰ্চৰণি নেখাবনে? অসমীয়া সাহিত্যত বেদনাৰ ডাৱৰ থাকক, হাঁহিৰ ৰ'দালিও থাকক। ৰ'দ বীজাণুনাশক।

যিটো যুগৰ সাহিত্যই অসমীয়া ভাষাক অতিশয় সমৃদ্ধ কৰিলে, বৈষ্ণৱ যুগৰ সেই সাহিত্য প্ৰধানকৈ অনূদিত সাহিত্য। অনুবাদৰ আশ্ৰয় নোলোৱা হ'লে সেই যুগৰ অসমীয়া সাধাৰণ মানুহে সংস্কৃতত থকা সাহিত্য সম্পদৰ সম্ভেদেই নেপালেহেঁতেন। স্ত্ৰী-শূদ্ৰনিৰ্বিশেষে সকলোৰে সহজ বোধগম্য কৰি অনুবাদ কৰা এই বৈষ্ণৱ সাহিত্যই যি ধৰ্মীয় আৰু সাংস্কৃতিক বাতাবৰণ গঢ়ি তুলিলে, তাৰ সুফল স্বৰূপে এক নতুন সমাজ, এক নতুন সংস্কৃতি আৰু এক নতুন জাতীয়ত্ব প্ৰতিষ্ঠিত হ'ল। অনূদিত সাহিত্যই মৌলিক ৰচনাৰ কাৰ্যত ব্ৰতী হ'বলৈকো উদ্‌গনি দিলে।

বৰ্তমান অনুবাদৰ যোগেদি সমগ্ৰ পৃথিবীৰ সাহিত্য আৰু ভাৱধাৰাৰ লগত পৰিচিত হোৱাৰ সুযোগ ওলাইছে। আমাৰ ভাষালৈ কিছু কিছু গ্ৰন্থৰ অনুবাদ হৈছে; কিন্তু বিশেষ কোনো আঁচনিৰ যোগেদি গ্ৰন্থ নিৰ্বাচন কৰি, নিৰ্ভৰযোগ্য অনুবাদকৰ হাতুৰাই অনুবাদ কৰাই প্ৰকাশ কৰাৰ সুব্যৱস্থা এতিয়াও হোৱা নাই। অনুবাদৰ লগতে অনূদিত গ্ৰন্থৰ বিষয়ে, গ্ৰন্থকাৰৰ বিষয়ে, গ্ৰন্থৰ গুণাগুণৰ বিষয়ে, প্ৰভাৱ প্ৰতিক্ৰিয়াৰ বা সাহিত্যিক তাৎপৰ্যৰ বিষয়ে প্ৰয়োজনীয় পৰিচয় লিপি, প্ৰয়োজনীয়তা আদিও সন্নিবিষ্ট কৰিলেহে অনুবাদ কৰাৰ যুক্তি প্ৰতিপন্ন হয়। মৌলিক গ্ৰন্থ ৰচনা কৰাত দক্ষতা নথকা লোকেও, ভাষাৰ ওপৰত ভাল দখল থাকিলে, সুন্দৰ অনুবাদ কৰিব পাৰে। অনুবাদ কাৰ্যই সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে, অনুবাদক, প্ৰকাশকৰো অৰ্থকৰী দিশ টনকিয়াল হোৱাত সহায় কৰিব পাৰে। সংস্কৃত, পালি, প্ৰাকৃত, আৰবী, ফাৰ্চী আদি ভাষাৰপৰা অনুবাদ কৰিবলগীয়া বহু মূল্যবান গ্ৰন্থ আছে। বাইবেল, গ্ৰন্থ-চাহেব আদিৰ পূৰ্ণাংগ অনুবাদ এতিয়াও অসমীয়াত হোৱা নাই। অসম তথা ভাৰতৰ ইতিহাস, সংস্কৃতি, প্ৰাচীন অৰ্থনীতি, সমাজনীতি আদিৰ সম্ভেদ আৰু বিৱৰণ থকা বহু গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰাৰ প্ৰয়োজন আছে। মাৰ্ক্স, এঙ্গেলছ, লেনিন আদিৰ প্ৰখ্যাত লিখাবোৰৰ অনুবাদৰো প্ৰয়োজন আছে।

অনুবাদৰ কাৰণে গ্ৰন্থ নিৰ্বাচনত সামাজিক উদ্দেশ্য আৰু প্ৰয়োজনৰ কথা মনত ৰখা দৰকাৰ। অনুবাদ যাতে নিৰ্ভুল আৰু সুখপাঠ্য হয়, তাৰ প্ৰতিও দৃষ্টি ৰখা দৰকাৰ। অনূদিত গ্ৰন্থৰ দাম যাতে বৰ বেছি নহয়, তাৰ প্ৰতিও চকু দিব লাগে, নহ'লে পঢ়িব জানোতাসকলে অনুবাদ গ্ৰন্থ নিকিনি মূল ভাষাতে পঢ়িবলৈ ইচ্ছা কৰাই স্বাভাৱিক।

অন্য ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰাৰ লগে লগে অসমীয়াৰ পৰা ইংৰাজী, হিন্দী, উৰ্দু, বঙলা, উৰিয়া আদি ভাষালৈ বছা বছা অসমীয়া গ্ৰন্থ বা লিখনী-বিশেষ প্ৰকাশ কৰাৰ ব্যৱস্থা হ'ব লাগে। ৰোমান আখৰেৰে নগালেণ্ড, অৰুণাচল আদিৰ পাঠকৰ কাৰণে নাগামীজত, আদ, নিছি, বড়ো, কছাৰী আদিৰ নিচিনা ভাষাত অসমীয়া নাটক, উপন্যাস, সাধুকথা আদিৰ অনুবাদ আৰু প্ৰকাশৰ ব্যৱস্থা কৰিলে, ভাৰৰ আদান-প্ৰদানত সহায় হ'ব। নগাকৌৱৰ, জয়মতী, ইয়াৰুঈংগম, বিদ্ৰোহী নগাৰ হাতত আদি গ্ৰন্থ নাগামীজত ৰোমান আখৰত ছপাই উলিয়াব পাৰি। তেনেকৈ খাছী, জয়ন্তীয়া আদি লোকৰ বিষয়ে লিখা বা সম্পৰ্কিত অসমীয়া লিখা খাছী ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰাৰ থল আছে। মণিপুৰী ভাষালৈও অসমীয়াৰ পৰা বছা বছা বৈষ্ণৱ যুগৰ সাহিত্য অনুবাদ কৰাৰ থল আছে; আধুনিক লিখাও অনুবাদ কৰা দৰকাৰ।

মাতৃভাষাৰ যোগেদি মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত শিক্ষাদানৰ ব্যৱস্থা হোৱাৰ ফলত, অসমীয়া ভাষাত সকলো বিষয়ৰ পাঠ্যপুথি যুগুত কৰি প্ৰচলন কৰা হৈছে। এনে বহুত পাঠ্যপুথিৰ ভাষা আশানুৰূপভাৱে শুদ্ধ, ভাব-প্ৰকাশক আৰু সুখপাঠ্য হোৱা নাই। বুলি ছাত্ৰ-শিক্ষক উভয়ৰে পৰা অভিযোগ শুনা যায়। কিছুমান পাঠ্যপুথি ইংৰাজী বা অন্য ভাষাৰ পৰা যান্ত্ৰিকভাৱে অনুবাদ কৰাৰ ফলত অৰ্থৰ স্পষ্টতাও নষ্ট হৈছে বুলি জনা যায়। অসমীয়া ভাষাত বিভিন্ন বিষয়ক মৌলিক পাঠ্যপুথি ৰচনা কৰাৰ অহঁতা আৰু দক্ষতা থকা অধ্যাপকৰ বা অন্য লেখকৰ অভাৱ নাই। এই পাঠ্যপুথিবোৰৰ ভাষা যাতে শুদ্ধ আৰু সহজবোধ্য হয়, তাৰ প্ৰতি গ্ৰন্থ প্ৰণেতাসকলে আৰু পাঠ্যপুথি প্ৰস্তুতি কমিটিয়ে আৱশ্যকীয় তৎপৰতা অবলম্বন কৰিব

বুলি আশা কবিলোঁ।

বিশ্ববিদ্যালয়ব শিক্ষা অসমীয়া ভাষাব মাধ্যমেবে লাভ বা দান কবাব ব্যবস্থা হোবাব ফলত অসমীয়া ভাষাব মর্যাদাক স্বীকৃতি দিয়া হৈছে; কিন্তু এই বাবেই ইংবাজী ভাষাক সম্পূর্ণ অবহেলা কবাটো দূবদর্শিতাব পবিচায়ক নহয়। আন্তর্জাতিক আৰু আন্তঃবাজ্যিক মাধ্যম হিচাপে ভাৰতীয় মানুহব কাবণে ইংবাজী ভাষাব প্রয়োজন এতিয়াও অপবিহার্য হৈ আছে। বিশ্বসাহিত্যব জগতখনত প্রবেশ কবিবব কাবণেও আমি ইংবাজী ভাষাব দুবাবেদিয়েই প্রবেশ কবাব বাহিবে গত্যন্তব নাই। ভাৰপ্রবণতাবে বা সংবক্ষণ প্রবণতাবে বাস্তবক ঢাকি বাখিবব চেষ্টা কবি লাভ নাই।

ইংবাজী ভাষা শিকাক আৰু শুদ্ধকৈ শিকাক গুৰুত্বসহকাবে আমি প্রয়োজনীয় বুলি ধবিব লাগে। কেবল অসমীয়া ভাষাব বাহিবে অন্য ভাষাব কাবণে ঠাই নোহোবা কবিব খুজিলে অসমব বিভিন্ন স্তবব শিক্ষানুষ্ঠান, বিশেষকৈ কৃষি বিশ্ববিদ্যালয়, মেডিকেল কলেজ, ইঞ্জিনিয়াবিং কলেজ আদিত অন্য ভাষা-ভাষী দেশী বা বিদেশী ছাত্র-ছাত্রীবো অসমব বাহিবব শিক্ষানুষ্ঠানত শিক্ষালাভ কবাটো সহজ সাধ্য নহ'ব।

ইংবাজী আমি শিকোবেঁই যদি, শুদ্ধকৈ আৰু ভালকৈ শিকা দবকাব। ইংবাজী বেয়াকৈ আৰু ভুলকৈ শিকি, সেই ভাষাটোব অবমাননা কবা আৰু আমাব নিজক হাঁহিয়াতব পাত্র কবাটো অশোভনীয় কথা।

ইংবাজী মাধ্যমব শিক্ষানুষ্ঠানত ল'বা-ছোৱালী পঢ়াব খোজোঁতাসকলব কাবণে বাট মুকলি হৈয়ে আছে। আমাব সমাজব আঢ্যবন্ত লোকসকলে ল'বা-ছোৱালীক ইংবাজী মাধ্যমব বিদ্যালয়তহে পঢ়ায়। মাতৃভাষাবে শিক্ষালাভব যি মৌলিক অধিকাব, বাষ্ট্রীয় নীতি হিচাপে স্বীকৃত হৈছে, তাক লংঘন কবিবলৈ চেষ্টা কবাটো সমীচীন নহয়। শিক্ষাব মাধ্যম, লিপিব ব্যবহাব আদি বিষয়ক বাজনীতিব বৃত্তব বাহিবত বখাই সর্বতোপ্রকাবে মংগলজনক কথা।

অসমীয়া ভাষা বিশ্ববিদ্যালয়ব শিক্ষাব মাধ্যম হোৱাব ফলত ছাত্র-ছাত্রীব অসুবিধা হৈছে আৰু তাব ফলত পবীক্ষাত কৃতকার্যতাব হাব কমিছে বুলি যুক্তি আগবঢ়াই, পুনব ইংবাজীক শিক্ষাব মাধ্যম কবিব লাগে বুলি কোনোবা কোনোবাই কোৱা বুলি শুনিছোঁ। অতকালে শিক্ষাব মাধ্যম ইংবাজী ভাষা হোৱাৰ কাৰণেহে ছাত্র-ছাত্রী অকৃতকার্য হয় বুলি কৈ থকা হৈছিল। এতিয়া অসমীয়া ভাষাক সেই দুর্নামেবে অপবাধী কবিবলৈ বিচবাটো অযুক্তিকব কথা।

এই কথা কোৱাব প্রয়োজন নাই যে অসমত অসমীয়া ভাষাই সর্বাধিক গুৰুত্ব পাব লাগিব। নিজ ভাষাব পবিচয়বেই আমি নিজব পবিচয় দিওঁ; কিন্তু অসমীয়াব বাহিবে অসমব ভিতবত অন্য যিবোব ভাষা আছে, সেইবোব ভাষাবো উন্নতি আৰু বিকাশব কাবণে চবকাব, বাইজ, শিক্ষাবিভাগ, বিশ্ববিদ্যালয়, অসম সাহিত্য সভা আদিয়ে সক্রিয় ব্যবস্থা ল'ব লাগে। বড়ো, কার্বি, মিচিং আৰু নেপালী আদি ভাষা-ভাষী বহু লোক অসমত আছে আৰু এই ভাষাবোবো জীবন্ত ভাষা। কাছাব জিলাত বাদেও অসমব অন্যান্য অঞ্চলতো বঙলাভাষী লোক বহুত আছে। অসমীয়া ভাষা অসমীয়া মানুহব কাবণে যিমান আদবব, সেই ভাষাবোবো সেই সেই ভাষা-ভাষী মানুহব কাবণে সিমানে আদবব।

কোনো এটা ভাষা বা সাহিত্যব বিকাশ আৰু সমৃদ্ধিয়ে অন্য ভাষা আৰু সাহিত্যব বিকাশ আৰু সমৃদ্ধিত সহযোগিতা আগবঢ়াব লাগে, প্রেবণা যোগাব লাগে, কোনো প্রকাবব বাধাব সৃষ্টি কবিব নালাগে। সাহিত্যব মাজত সুপ্রতিষ্ঠিত নহ'লে কোনো ভাষা শক্তিশালী হ'ব নোৱাবে। অসমব জন-জাতীয় আৰু অন্যান্য ভাষাবোবে নিজস্ব উৎকৃষ্ট সাহিত্য সৃষ্টিব যোগেদি সমৃদ্ধিব চিনাকি দিবলৈ আগবাঢ়ি অহাব পথত কোনোবে বাধাব সৃষ্টি কবিব নোৱাবে। ভৌগোলিকভাবে সৰু আমাব অসম বাজ্যখনত যদি চাবি-পাঁচটা পূর্ণবিকশিত আৰু সমৃদ্ধ সাহিত্য থাকে, তাত অসমবাসী গৌববান্বিত নহে নোৱাবে। কোনো ভাষাকে যাতে কোনো বাজনৈতিক উদ্দেশ্য সাধনব মূলধন বা অস্ত্রৰূপে ব্যবহাব কবা নহয় তাব প্রতি সজাগ দৃষ্টি বখা দবকাব। সামাজিক ন্যায় আৰু সমাজবাদ যিখন দেশব বাষ্ট্রীয় আদর্শ, সেইখন দেশত সকলো প্রকাবব শোষণ, দমন আৰু বিবাদব বীজাণু নির্মূল কবিব লাগিব। কোনো ভাষাই অন্য কোনো ভাষাতকৈ ডাঙব বা সৰু নহয়, বেছি উন্নত বা কম উন্নতহে হ'ব পাবে। কম উন্নত ভাষাক উন্নতি কবিবলৈ সহায়-সহযোগ আগবঢ়োবাটো অধিক উন্নত ভাষাব কর্তব্য। বড়ো, কার্বি, আদিব নিচিনা হাজাব হাজাব বছব পুবণি অসমব ভাষাক অসমীয়াভাষী বা অন্যভাষী লোকে সম্মান জনাব নজনাতকৈ দুর্ভাগ্যজনক কথা আৰু একো হ'ব নোৱাবে। বড়ো, কার্বি, আদি ভাষা-ভাষীলোকেও বৃহত্তব অসমীয়া সমাজখনব ভাষা অসমীয়াক নিজব ভাষা বুলি ল'ব নুখুজিলে সি অধিক দুর্ভাগ্যজনক কথা হ'ব। ভাষাব বাজনীতি কবি শান্ত পবিবেশক বিবাদ-বিসম্বাদেবে অশান্ত কবি

তোলাতকৈ, নিজৰ নিজৰ মতে নিজৰ নিজৰ সাহিত্যক সমৃদ্ধ আৰু উন্নত কৰিবলৈ যত্ন কৰাটোহে ভাষা-সাহিত্যপ্রেমী আৰু দেশপ্রেমিক লোকৰ কৰ্তব্য।

বৰ্তমানত হিন্দী ভাষা শিকাৰ অপৰিহাৰ্যতা সম্পৰ্কে নতুনকৈ ক'বলগীয়া নাই। হিন্দী আৰু অসমীয়া ভাষা ভালকৈ শিকিবৰ কাৰণে সংস্কৃত ভাষাৰ জ্ঞানো অতি প্রয়োজনীয়। আৰবী আৰু ফাচী সাহিত্য অধ্যয়নৰ কাৰণে আৰু ইৰাণ আৰু আৰবীভাষী মধ্য-প্রাচ্যৰ দেশবোৰৰ লগত ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক দৃঢ়তৰ কৰিবৰ কাৰণে আৰবী আৰু ফাচী ভাষা শিক্ষা কৰাৰ প্রয়োজনো বৃদ্ধি পাইছে। হিন্দীৰ লগতে উর্দু ভাষা আৰু উর্দু সাহিত্যও অতি সমৃদ্ধ সাহিত্য। উত্তৰ ভাৰতৰ এক বিশাল দৰকাৰ, কিয়নো উর্দু এটা অতি উন্নত ভাৰতীয় ভাষা আৰু উর্দু সাহিত্যও অতি সমৃদ্ধ সাহিত্য। উত্তৰ ভাৰতৰ এক বিশাল অঞ্চলৰ ভাষা উর্দু। সংস্কৃত, আৰবী, ফাচী আৰু উর্দু ভাষাৰ শিক্ষাদানৰ কাৰণে শিক্ষাবিভাগে প্রাথমিকৰ পৰা বিশ্ববিদ্যালয় স্তৰ পর্যন্ত কার্যকৰী ব্যৱস্থা ল'ব লাগে। প্রাথমিক, মাধ্যমিক বা মহাবিদ্যালয়ৰ স্তৰত এইবোৰৰ শিক্ষাদানৰ ব্যৱস্থা তেনেই সীমাৱদ্ধ কৰি ৰাখি, বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্রেণীৰ পাঠ্যৰূপে প্রৱর্তন কৰাৰ সার্থকতা কিমানখিনি চিন্তা কৰি চাবলগীয়া কথা।

ভাষাৰ বিকাশ সমাজৰ বিকাশৰ ওপৰত নির্ভৰশীল। সমাজৰ সংৰক্ষণশীলতা আৰু গোড়ামীয়ে ভাষাৰ উন্নতি আৰু বিকাশত বাধা জন্মায়। আনহাতে সমাজৰ বিশৃংখলা আৰু অস্থিৰতাই ভাষা-সাহিত্যৰ ৰূপো অস্থিৰ আৰু বিজতুৰা কৰি তোলে। এক শক্তিশালী, প্রগতিশীল, সুসমন্বিত সমাজ-গাঁথনিয়েহে ভাষা-সাহিত্যক শক্তিশালী আৰু সুসংহতভাৱে গঢ়ি উঠাত সহায় কৰে।

অসমত হিন্দু, মুছলমান, খ্রীষ্টান, জৈন, শিখ আৰু বৌদ্ধ ধর্মাৱলম্বী মানুহ আছে। বিভিন্ন ধর্মাৱলম্বী এই লোকসকলৰ মাজত আপাত দৃষ্টিত কোনো সাম্প্রদায়িক বিভেদ নাই; ধর্মীয় পার্থক্যহে আছে। তথাপি একে ধর্মাৱলম্বী দুদল লোকৰ মাজতো বহু সময়ত সামাজিক একতা আৰু সমন্বয় আশানুৰূপভাৱে গঢ়ি উঠা নাই। চাহ বনুৱাসকল আজি অসমীয়া; অসমৰ বাহিৰে তেওঁলোকৰ আৰু ক'তো অন্য মাতৃভূমি নাই। অসমৰ ৰাজনতিয়েই তেওঁলোকৰ ৰাজনীতি, অসমৰ অর্থনীতিয়েই তেওঁলোকৰ অর্থনীতি। তথাপি হিন্দু চাহ বনুৱাসকলক অসমীয়া সমাজত সম্পূর্ণভাৱে আন হিন্দুসকলে সামৰ লোৱা নাই। মুছলমান চাহ বনুৱাসকলো অসমীয়া মুছলমান সমাজৰ লগত সম্পূর্ণ জাহ যোৱা নাই। খ্রীষ্টান চাহ বনুৱাসকলৰ সমাজখনো আছুতীয়া হৈয়ে আছে।

একেদৰেই, অসমৰ পু�ৰণি মুছলমান আৰু প্রধানকৈ পূৱবংগৰপৰা পিছত অহা মুছলমানসকলৰ মাজত যদিও শিক্ষা-দীক্ষা সাধাৰণ আচাৰ-বিচাৰৰ ক্ষেত্রত আৰু ধর্মীয় আচাৰ-বিধিত বিশেষ কোনো পার্থক্য নাই, তথাপি উভয় দলৰ মাজত ঘনিষ্ঠ সামাজিক সম্বন্ধ গঢ়ি উঠা নাই। অসমৰ খ্রীষ্টানসকলৰ কথাও বহুতে মনত ৰাখিবলৈ পাহৰি যোৱা নাই। অসমৰ খ্রীষ্টানসকলৰ কথাও বহুতে মনত ৰাখিবলৈ পাহৰি যোৱা যেন লাগে। খ্রীষ্টধর্মটোকো কোনো কোনোৱে ভাৰতত প্রচলিত অন্যান্য ধর্মৰ নিচিনাই ভাৰতৰ ভিতৰতে চলি থকা এটা ধর্ম বুলি ধৰিবলৈ টান পায়।

অসমীয়া ভাষা আৰু সাহিত্যই আজি যিমানেই উন্নতি নকৰক, যিমানেই ৰূপ নসলাওক কিয়, ডেৰশ বছৰৰ আগেয়ে অসমলৈ আহি, অসমীয়া ভাষাৰ অস্তিত্ব আৰু স্বতন্ত্রতাৰ কাৰণে অক্লান্তভাৱে যুঁজি, অসমীয়া ভাষাক চৰকাৰী স্বীকৃতি আৰু মান্যতা দিয়াই, বর্তমানৰ ব্যৱহৃত অসমীয়া লিপিমালা প্রৱর্তন কৰি, প্রথম অসমীয়া শব্দকোষ, ব্যাকৰণ, পঢ়াশলীয়া পাঠপুথি, গণনাপুথি, প্রথম অনূদিত উপন্যাস উলিয়াই, প্রথম নতুন পদ্য আৰু কথিত গদ্য লিখাৰ ৰীতি প্রৱর্তন কৰিয়ে ক্ষান্ত নাথাকি সাহিত্য-বার্তালোচনী অৰুণোদয়ৰ যোগেদি প্রথম ছপা মাহেকীয়া পত্রিকা উলিয়াই অসমীয়া সংবাদ-সাহিত্য আৰু সাংবাদিকতাৰ যুগ প্রতিষ্ঠা কৰি, ছপাশাল পাতি, অসমীয়া ভাষা আৰু সাহিত্যৰ আধুনিক যুগৰ আৰম্ভণী কৰোঁতা সেই প্রথম আধুনিক অসমীয়া খ্রীষ্টান মিছনেৰীসকলৰ প্রতি অসমীয়াই কৃতজ্ঞতাৰ ঋণ পৰিশোধ কৰি শেষ কৰিব নোৱাৰে। ব্রাউন, ব্রন্সন, কাট্টাৰ, মিচেছ কাট্টাৰ, গার্নি আদিয়েই আছিল ভাষা-সাহিত্যৰ নতুন যুগস্রষ্টা অসমীয়া লেখক। তেওঁলোক আছিল, আনন্দৰাম ঢেকীয়াল ফুকনৰ নিচিনাই সেই সময়ৰ সকলো অসমীয়াতকৈ বেছি অগ্রণী অসমীয়া। নতুন ধৰণে চিন্তা কৰাৰ, নতুন ধৰণে লিখাৰ বাট তেওঁলোকেই মুকলি কৰি দিছিল। তেওঁলোককে অনুসৰণ কৰি নিখি ফাৰৱেলে নতুন পদ্য লিখাত ধৰিছিল। যুগ প্রৱর্তক মহাপুৰুষ শংকৰদেৱে নৱবৈষ্ণৱ ধর্ম প্রচাৰৰ কাৰণে অসমীয়া সাহিত্যৰ আশ্রয় লোৱাৰ নিচিনাকৈ, এই লেখকসকলেও

খ্রীষ্ট ধর্ম প্রচাৰ কৰিবলৈ নতুন অসমীয়া ভাষাকে অৱলম্বন কৰি লৈছিল, যিদৰে অসমত ইছলাম ধর্মৰ নতুন দীক্ষা দিবৰ কাৰণে আজান চাহেবেও অসমীয়া ভাষাত জিকিৰ ৰচনা কৰিছিল।

অসম বুৰঞ্জী লেখক ৰে'ড, এড্ৱার্ড গেইট, জে, পি, মিল্‌ছ আদি আৰু পূর্ব ভাৰতৰ নৃতাত্ত্বিক আৰু সমাজতাত্ত্বিক গৱেষণাকাৰী লেখক শ্বেক্সপীয়েৰ, হেমিল্টন, হাটন আদিয়ে ইংৰাজীতে লিখিলেও, তাৰ যোগেদিয়ে অসম তথা পূর্ব ভাৰতক পৃথিবীৰ সন্মুখত দাঙি ধৰিছিল। এইসকল অসমীয়াও আমাৰ নমস্য ব্যক্তি। গ্রীয়ার্ছনে ভাৰতৰ অন্য ভাষাৰ জগতে অসমীয়া ভাষাৰো বৈজ্ঞানিক মূল্যায়নেৰে প্রাপ্য স্থান নির্ণয় কৰি গ'ল।

তেওঁলোক দূৰদূৰণিৰপৰা আহিছিল। অসমৰ নহৈও এওঁলোক অসমীয়া। তেওঁলোক খ্রীষ্টান আছিল। তেওঁলোক সংখ্যাত তাকৰ আছিল।

অসমত নতুন আছিল; কিন্তু তেওঁলোকৰ প্রতিজনেই স্মৰণীয় আৰু ৰৰণীয়া অৱদানেৰে অসমীয়া ভাষা-সাহিত্যৰ ভেঁটি বান্ধি থৈ গৈছে। সেইসকল শ্রম, ত্যাগ আৰু সংগ্রামৰ কথা অসমীয়া ভাষা-সাহিত্যই কাহানিও পাহৰিব নোৱাৰে। এইসকলৰ আৱক্ষ মূর্তি প্রতিষ্ঠা কৰি, জন্মোৎসৱ, মৃত্যুদিৱস পালন কৰি জাতীয় সম্মান জনোৱাৰ সময় এতিয়াও উকলি যোৱা নাই। অসমৰ খ্রীষ্টান সমাজ আমাৰ সাহিত্য-সংস্কৃতিৰ জগতলৈ ৰৰঙণি যোগাবলৈ আজিও কয়ি আগৱদৰে তৎপৰ নোৱা নাই, সি চিন্তাৰ বিষয়।

পূর্বগামী এই খ্রীষ্টান অসমীয়াসকলৰ আর্হি-আদর্শ লৈ বর্তমানৰ অসমীয়া খ্রীষ্টানসকলে ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্রলৈ যুগোপযোগী অৰিহণা যোগাই, অসমৰ জাতীয় জীৱনৰ মূল সোঁতটোক সমৃদ্ধ কৰিবলৈ আগবাঢ়ি আহক, আমি সেই আহ্বান জনাইছোঁ।

ইংৰাজী ভাষাভাষী আৰু ৰোমান লিপিৰে লিখামেলা কৰাত অভ্যস্ত মিছনেৰীসকলে অসমত নতুন অসমীয়া ভাষা প্রৱর্তন কৰিবলৈ লোৱাৰ সময়ত, অসমীয়া ভাষা লিখিবৰ কাৰণেও ৰোমান লিপি ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন। তেনে কৰাৰ তিনিটা সুবিধা আছিল- (১) ৰোমান লিপি তেওঁলোকৰ নিজস্ব লিপি, এই লিপি নতুনকৈ শিকাৰ প্রয়োজন নাছিল। (২) ইংৰাজসকল অসমৰ শাসনৰ অধিকাৰত থকা কাৰণে ৰোমান লিপি প্রচলন কৰাত বাধা পোৱাৰ সম্ভাৱনা কম আছিল (৩) সেই সময়ত বঙলা ভাষাৰ বিৰুদ্ধে গঢ়ি উঠা মনোভাৱক আশ্রয় কৰি বঙলা লিপিৰ (ছপাৰ কাৰণে ব্যৱহৃত লিপিৰ) বিৰুদ্ধে বিদ্বেষৰ ভাৱ জগাই তুলি, ৰোমান লিপি প্রচলন সপক্ষে মত গঢ়ি তোলাৰ সুচল আছিল।

কিন্তু খ্রীষ্টান মিছনেৰীসকলে এইবোৰ একো নকৰিলে। নিজৰ ৰোমান লিপি জাপি দিবৰ চেষ্টা নকৰি বঙলা বা অসমীয়া লিপিকে শিকি লৈ অসমীয়া ভাষাৰ কাৰণে তাকে ব্যৱহাৰ আৰু প্রৱর্তন কৰিলে। সেয়ে আজিও চলি আছে। কথাটো তাৎপর্যপূর্ণ।

অসমৰ কোনো জনজাতীয় ভাষা লিখিবৰ কাৰণে অসমীয়া লিপিৰ পৰিৱর্তে ৰোমান লিপি ব্যৱহাৰ কাৰণে যিসকলে চিন্তা কৰে, সেইসকলে এই বিদেশী খ্রীষ্টান মিছনেৰীসকলৰ দূৰদর্শিতা, বাস্তৱবোধ আৰু উদাৰতাৰ কথা মনত ৰাখিলে নির্ভুল পথৰ সন্ধান পাব। একে লিপিৰেই লিখিলেও অসমীয়া আৰু বঙলা দুটা সুকীয়া ভাষা, তথা সুকীয়া সাহিত্য হৈ থকাত বাধা পৰা নাই। অসমীয়া লিপিয়ে অসমৰ ভিতৰৰে এটা জনজাতীয় ভাষাৰ বিকাশ আৰু উন্নতিৰ পথত অন্তৰায়ৰ সৃষ্টি নকৰে।

মেঘালয় বিধান সভাৰ সদস্য সুসাহিত্যিক, জননেতা শ্রীমণি ৰাভাৰ এটা সময়োপযোগী উক্তিৰ উল্লেখ নকৰি নোৱাৰিলো ঃ

....."আমাৰ অসমত বাসকৰা প্রায়বোৰ জনজাতিসকলৰ মাজত ভাৱৰ আদান-প্রদান ঘটি আছে-অসমীয়া ভাষাৰ মাধ্যমেৰে, এনেকি মেঘালয়, মিজোৰাম, নগালেণ্ড, মণিপুৰ আৰু অৰুণাচলৰ বিভিন্ন জনজাতিসকলৰ লগত যোগাযোগ আৰু সেইসকল জনজাতিৰ মাজত ভাৱৰ আদান-প্রদানো হৈ আছে অসমীয়া ভাষাৰ মাধ্যমতে। জনজাতিসকলে অসমীয়া ভাষাত কথা ক'বলৈ যিমান সহজ পায় অন্য ভাষাত নেপায়। পর্বত-ভৈয়ামৰ এনাজৰী হৈছে অসমীয়া ভাষা। অসমীয়া ভাষা আৰু বর্ণমালাৰ লগত আমাৰ যিমান পৰিচয় ঘটিছে, অন্য ভাষা বা বর্ণমালাৰ লগত আমাৰ যিমান পৰিচয় ঘটিছে, অন্য ভাষা বা বর্ণমালাৰ লগত সেই পৰিচয় খুব কম বুলিব পাৰি। গতিকে অসমীয়া বর্ণমালাৰ বোগেদি আমাৰ জনজাতীয় ভাষাৰ বিকাশ আৰু প্রচাৰ কিদৰে সাধন কৰিব পাৰি, সেই বিষয়ে পুনৰ বিচাৰ কৰাৰ সময় আহিছে। আমি আনৰ দ্বাৰা প্রৱোচিত নহৈ বাস্তৱ

দৃষ্টিভংগী আৰু প্ৰকৃত অভিজ্ঞতাৰে ভাষা সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰা অতি উত্তম পন্থা হ'ব, নহ'লে আমাৰ জনজাতীয় ভাষা-সংস্কৃতিৰ বিকাশ সাধন আৰু শিক্ষা সমস্যা সমাধান কৰা সম্ভৱ নহ'ব।" (অসমৰ জনজাতি' ২য় বছৰ ২য় সংখ্যা, ১৯৭৬ চনত প্ৰকাশিত শ্ৰীৰাভাৰ 'জনজাতিসকলৰ শিক্ষা সমস্যা' নামৰ প্ৰবন্ধ)।

জনজাতীয় কোনো ভাষাত ব্যৱহৃত হোৱা কোনো ধ্বনি সঠিকভাৱে প্ৰকাশ কৰিবলৈ অসমীয়া বৰ্ণমালাত আৱশ্যকীয় আখৰৰ অভাৱ হ'লে, নতুন আখৰ উলিয়াই ব্যৱহাৰ কৰিব পৰা যায়। ইতিমধ্যে অসমৰ জনজাতি নামৰ আলোচনীখনে অসমীয়াৰ উপৰি বড়ো, ৰাভা, তিৱা, ডিমাচা, দেউৰী, কাৰ্বি আৰু মিচিং ভাষাৰ প্ৰবন্ধাদি অসমীয়া লিপিৰে প্ৰকাশ কৰি প্ৰশংসনীয় কাম কৰিছে।

চাহ বাগানৰ বনুৱা অসমীয়াসকল, পূৰ্ববংগৰ পৰা অহা (মুছলমান) অসমীয়াসকল, অসমৰ খ্ৰীষ্টান, বৌদ্ধ, জৈন আৰু শিখ অসমীয়াসকল, অসমৰ খ্ৰীষ্টান, বৌদ্ধ, জৈন আৰু শিখ অসমীয়াসকল বৃহত্তৰ অসমীয়া সাহিত্য-সংস্কৃতিৰ, মূল ধাৰাটোৰপৰা আঁতৰি, সুকীয়া সুকীয়া দ্বীপত থকাদি থাকিলে অসমৰ সাহিত্য-সংস্কৃতি আৰু জাতীয়ত্ব নিশকতীয়া হৈয়ে থাকিব। ন-অসমীয়া, পুৰণি-অসমীয়া আদি বিভেদ সৃষ্টিকাৰী আখ্যাবোৰ আজি নতুন পৰিস্থিতিত সম্পূৰ্ণ অৰ্থহীন হৈ পৰিছে। অসমীয়া সমাজ এখনেই।

চাহ-বনুৱাসকল আৰু পূৰ্ববংগৰপৰা অহা অসমীয়াসকল সকলো কৃষি-প্ৰাণ কৃষক। তেওঁলোক সদৌ অসমৰ জনসংখ্যাৰ আধাতকৈও বেছি। এই কৃষকসকলক শিক্ষিত অসমীয়া কৰি তুলিব নোৱাৰা পৰ্যন্ত, অসমৰ সাহিত্য-সংস্কৃতিয়ে পূৰ্ণপয়োভৰেৰে আত্মপ্ৰকাশ কৰিব নোৱাৰে। এই লোকসকল অসমীয়া ভাষাভাষী হৈ পৰাতে সমস্যাৰ ওৰ নপৰে। সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো তেওঁলোকক বৃহত্তৰ অসমীয়া সমাজৰ অবিভাজ্য অংগ কৰি তুলিবৰ উপযোগী এক উদাৰ মানসিক পৰিবেশ গঢ়ি তোলাৰ প্ৰয়োজন আছে।

আমাৰ বড়ো, মিচিং, কাৰ্বি, ৰাভা, কছাৰী, লালুং, নেপালী সোণোৱাল, চাহবাগিচাত কাম কৰা বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায়ৰ মানুহ; বংগ, পূব বংগ, বিহাৰ, ৰাজস্থান, উৰিষ্যা আদিৰ পৰা আহি অসমীয়া হৈ পৰা লোকসকল— এই সকলোৰে জীৱনৰ সঁচাসঁচি ছবি আমাৰ সাহিত্যই সামৰি ল'ব নোৱাৰিলে, আমাৰ সৃজনীশীল লিখনীক আমাৰ পূৰ্ণাংগ প্ৰতিনিধিস্থানীয় সাহিত্য বুলি আমি ক'ব নোৱাৰিম।

সদৌ অসমবাসী ৰাইজৰ মাজৰ সামাজিক ব্যৱধানবোৰ ঠেকাই আনি, এক শক্তিশালী সমন্বয় গঢ়ি তুলিব পাৰিলেহে অসমীয়া সাহিত্য বিচিত্ৰ বৈশিষ্ট্যৰে সমৃদ্ধ হৈ উঠিব পাৰিব।

অসমৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু জাতীয়তাৰ স্বাৰ্থই অসম সাহিত্য সভাৰো স্বাৰ্থ। কিছুমান কাৰণত ভাষা, সাহিত্যবিষয়ক নীতি সম্পৰ্কত চৰকাৰ আৰু সাহিত্য সভাৰ দৃষ্টিভংগী আৰু কাৰ্য-ব্যৱস্থাৰ মাজত পাৰ্থক্য থকাটো অস্বাভাৱিক নহয়। কেতিয়াবা অসমৰ জাতীয়ত্ব আৰু ভাষা-সংস্কৃতিৰ অস্তিত্ব আৰু সম্মানৰক্ষাৰ প্ৰয়োজনত, সাহিত্য সভাৰ আহ্বান আৰু নেতৃত্বত ৰাইজে সংগ্ৰামৰ পথো ল'বলগীয়া হৈছে। তেনে অৱস্থাৰ সুযোগ লৈ এক শ্ৰেণীৰ দুৰ্নীতিপৰায়ণ আৰু সুবিধাবাদী লোকে অবাঞ্ছনীয় পৰিস্থিতিৰো সৃষ্টি নকৰি থকা নাই; কিন্তু সাহিত্য সভাৰ নেতৃত্বই চৰকাৰৰ লগত মতৰ এনে অমিলক চৰকাৰ বিৰোধী ৰাজনীতিৰ ৰূপ ল'বলৈ দিয়া নাই। মতৰ অমিল থকা সত্বেও সাহিত্য সভাৰ বিভিন্ন আঁচনি সফল কৰিবৰ কাৰণে অসম চৰকাৰে উদাৰভাৱে দান-অনুদান আগ বঢ়োৱাত কাৰ্পণ্য কৰা নাই।

চৰকাৰ ৰাজহুৱা ধনৰ গৰাকী। সাহিত্য সভাৰ বিভিন্ন আঁচন কাৰ্যকৰী কৰিবৰ কাৰণে অৰ্থসাহায্য দি ৰাইজৰ ধনেৰে ভাষা-শক্তি-সমৃদ্ধি বৃদ্ধি কৰাটো গণতান্ত্ৰিক চৰকাৰৰ এটা দায়িত্ব। সাহিত্য সভায়ো চৰকাৰৰ ভাষা-সাহিত্য সম্পৰ্কীয় কোনো আঁচনি থাকিলে, তাৰ ৰূপায়ণৰ দায়িত্ব ল'বলৈ পাছ নোহোঁহকে।

অসম সাহিত্য সভাৰ কাৰ্যক্ষেত্ৰৰ এটা সীমা আছে। বজাৰত কাগজ পাবলৈ নোহোৱা হ'লে বা কাগজৰ দাম অতিপাত বৃদ্ধি পালে সাহিত্য সভাই তাৰ বিৰুদ্ধে মাত মাতিব পাৰে; আৱশ্যকীয় ব্যৱস্থা ল'ব পাৰে চৰকাৰেহে। গ্ৰন্থকাৰৰ ন্যায্য স্বাৰ্থৰক্ষাৰ কাৰণে লেখকে বা সভাই দাবী জনাব পাৰে; সেই বিষয়ক ব্যৱস্থা ল'ব পাৰে চৰকাৰহে। অশ্লীল কিতাপৰ প্ৰকাশ-প্ৰচলনৰ বিৰুদ্ধে ৰাইজৰ হৈ সাহিত্য সভাই শক্তিশালী ধ্বনি তুলিব পাৰে; সেই সম্পৰ্কীয় শাসকীয় নীতি নিৰ্ধাৰণ কৰিব পাৰে চৰকাৰেহে। ৰাজ্যিক চৰকাৰী ভাষা সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ত প্ৰচলন নকৰাৰ বিৰুদ্ধে সাহিত্য সভাই অভিযোগ

উত্থাপন কৰিব পাৰে, সেই অভিযোগ খণ্ডন কৰিব পাৰে চৰকাৰেহে।

সাহিত্য সভাৰ পুঁজি সীমিত। ডাঙৰ পৰিকল্পনা কাৰ্যকৰী কৰিব পৰাৰ জোখেৰে সাহিত্য সভাৰ পুঁজিৰ নাটনি হ'ব পাৰে। এনে আঁচনি সফল কৰিবৰ কাৰণে সভা বাইজ আৰু চৰকাৰৰ ওচৰ চাপিবলগীয়া হয়। ১৯৬০ চনতে আধাৰশিলা স্থাপন কৰা বাধাকান্ত সন্দিকৈ ভৱন আৱশ্যকীয় পুঁজিৰ অভাৱত আজিও নির্মাণ কৰিব পৰা হোৱা নাই। ইয়াৰ কাৰণে সভাই বাইজ আৰু চৰকাৰৰ কাষ নেচাপি নোৱাৰে। এই বিষয়ত বাইজ আৰু চৰকাৰৰ উদাৱতাৰ অভাৱ নহ'ব বুলি আমাৰ সম্পূর্ণ বিশ্বাস আছে।

আনহাতে ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কীয় কোনো বৃহৎ আঁচনি চৰকাৰে হাতত ল'লে, তাক কার্যকাৰী কৰিবৰ কাৰণে চৰকাৰে সাহিত্য সভাক দায়িত্ব দিলে, সভাই দায়িত্ব নোলোৱাৰ কাৰণ নাই।

নিজৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ যি দায়িত্ব আছে, চৰকাৰৰো নিজা ক্ষেত্ৰত তেনে দায়িত্ব আছে। অসম চৰকাৰে সদ্যহতে স্কুল নোহোৱা গাঁও পিয়ল কৰাইছে। এই গাঁওবোৰত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা হ'লে নিৰক্ষৰতা বহুদূৰ আঁতৰ কৰিব পৰা যাব। অসমৰ বিভিন্ন ঠাইত থকা সভাৰ শাখাবোৰে চৰকাৰৰ এনে ব্যাপক আঁচনিত দিহা-পৰামর্শ দি কার্যকৰী সহযোগিতা আগবঢ়াব পাৰে। লেখক-সাহিত্যিকসকলেও এনে অভিযানত ভাগ ল'বলৈ আগবাঢ়ি নহাৰ কাৰণ নাই। সাহিত্যৰ উন্নতি আৰু বিকাশৰ লগত শিক্ষা বিস্তাৰৰ অপৰিহার্য সম্পৰ্ক আছে।

অসমৰ ১৬ লাখ জনজাতীয় লোকৰ মাজত, প্ৰায় কুৰি লাখ চাহ বাগানৰ বনুৱাৰ মাজত আৰু প্ৰায় ২৫ লাখ পূব বংগৰপৰা পিছত অহা মুছলমান কৃষকৰ মাজত শিক্ষা বিস্তাৰ কাম সুপৰিকল্পিতভাৱে কৰিবলৈ আগবাঢ়ি অহাটো অসম সাহিত্য সভাৰ এটা নৈতিক দায়িত্ব। লাখ লাখ নিৰক্ষৰ আৰু অশিক্ষিত মানুহক তেনেকৈয়ে বাখি, সাহিত্যই বিস্তাৰ লাভ কৰিব নোৱাৰে।

ভাষা-সাহিত্য-সংস্কৃতিৰ বৃহত্তৰ স্বার্থত, নিজস্ব স্বতন্ত্ৰতা, আদর্শ আৰু কার্য-প্ৰণালী অক্ষুণ্ণ বাখি অসম সাহিত্য সভাই চৰকাৰৰ লগত পাৰস্পৰিক সহযোগিতাৰ ভিত্তিত এক ফলপ্ৰসূ, মধুৰ সম্পৰ্ক ৰক্ষা কৰি চলিব পাৰে।

এটা কথা আজি স্পষ্ট হৈ উঠিছে যে অসমত সাহিত্য চর্চা বর্তমানত বিশ্ববিদ্যালয়, মহাবিদ্যালয় বা তেনে জাতীয় উচ্চ স্তৰৰ শিক্ষানুষ্ঠান আদিৰ শিক্ষক-শিক্ষয়িত্ৰী, সাংবাদিক নাইবা উচ্চ চাকৰীয়াল আদিৰ একচেটিয়া সম্পত্তি হোৱাদি হৈ পৰিছে। সাধাৰণ শিক্ষা-দীক্ষাৰ প্ৰতিভাসম্পন্ন লোক ক্ৰমে নোহোৱা হৈ আহিছে। সামাজিকভাৱে, শিক্ষাগতভাৱে, আমাৰ যি ওপৰ শ্ৰেণীৰ বা ইনটেলেক্চুৱেল শ্ৰেণীৰ সৃষ্টি হৈছে, তেওঁলোকেই সাহিত্য-সংস্কৃতিত লাগি আছে বা তাৰ নেতৃত্ব দিছে। এইটো ভাল কথা হৈছেনে বেয়া কথা হৈছে নেজানো, আৰু এনে হোৱাটোৱেই স্বাভাৱিকনেকি ক'ব নোৱাৰোঁ।

কিন্তু আমাৰ সাহিত্য-কর্মত লাগি থকা লোকৰ সংখ্যা ইমান তাকৰ যে ডেৰ কোটি মানুহৰ কাৰণে লিখিবলৈ ডেৰ শ লেখকো আমাৰ নাই। সাহিত্য সৃষ্টিৰ প্ৰতি অনুৰক্ত ইন্টেলেক্চুৱেলৰ সংখ্যা আৰু তাকৰ। আমাৰ প্ৰতিশ্রুতি সম্পন্ন সাধাৰণ শিক্ষা-দীক্ষাৰ লোকসকলক সাহিত্য ৰচনাৰ প্ৰতি আকর্ষণ কৰিবৰ কাৰণে এটা বাতাৱৰণ সৃষ্টি কৰাৰ আৰু সেইসকলৰ লিখনী প্ৰকাশ প্ৰচাৰ যোগে উদ্‌গনি দিয়াৰ ব্যৱস্থা কৰা দৰকাৰ। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত জনসাধাৰণে অংশ গ্ৰহণ কৰিব নোৱাৰাৰ কাৰণ নাই।

ৰাজনৈতিক শক্তি বিকেন্দ্ৰীকৰণৰ উদ্দেশ্যে অসমত ৬০০ খনৰো অধিক গাঁও পঞ্চায়ত গঠন কৰা হৈছে। প্ৰতিখন গাঁও পঞ্চায়ততে চৰকাৰে একোটা পূর্ণাংগ পুথিভঁড়াল প্ৰতিষ্ঠা কৰাৰ আঁচনি লৈছে বুলিও শুনিছোঁ। সেইদৰে প্ৰতিখন গাঁওসভাৰ অন্তর্গত যদি অসম সাহিত্য সভাৰ একোখনকৈও শাখা গঠন হয়, তেন্তে সাহিত্য সভাৰ কার্যক্ৰমো বিকেন্দ্ৰীকৃত হ'ব আৰু গাঁওবোৰত এক সাংস্কৃতিক পৰিবেশ গঢ়ি উঠিব। বর্তমান সভাৰ সৰহভাগ শাখা নগৰ-চহৰৰ মাজতে সীমিত আছে। পঞ্চায়তৰ অন্তর্গত প্ৰস্তাৱিত চৰকাৰী পুথিভঁড়ালবোৰৰ সদ্ব্যৱহাৰ শাখা সাহিত্য সভাবোৰে কৰাৰ সুযোগ পাব।

অতদিনে স্বপ্ৰণোদিত হৈ সাহিত্যানুৰাগী লোকসকলে শাখা সাহিত্য-সভা গঠন কৰি আহিছে। ঠাইবিশেষে এক বিশেষ আঁচনিৰ যোগে সভাৰ কেন্দ্ৰীয় কার্যালয়ে শাখা গঠন কৰাৰ ব্যৱস্থা ল'ব পাৰে। ৬০০ শাখা সভাই ৬০০ জন লেখকো যদি উলিয়াব পাৰে, সেয়া কম লাভৰ কথা নহ'ব আৰু তেনে কৰিব পাৰিলে সাহিত্যিকসকল আৰু সাহিত্যকর্ম নগৰত কেন্দ্ৰীভূত হোৱাৰ সাম্প্ৰতিক প্ৰৱণতাবো কিছু পৰিবর্তন হ'ব বুলি আশা কৰিব পাৰি। কার্যকৰী সমিতিৰ উপৰিও যদি প্ৰতিখন শাখাৰ এজনকৈ প্ৰতিনিধি লৈ এখন পৰিষদ গঠন কৰিব পাৰি, তেন্তে শাখাবোৰ সক্ৰিয় কৰি ৰখাৰ এটা বাট ওলাব পাৰে।

সাহিত্যক জনতামুখী কৰিব লাগিলে অসম সাহিত্য সভাও জনতামুখী হোৱা দৰকাৰ। এক ব্যাপক সাক্ষৰতা আন্দোলনৰ যোগে এই গাঁওবোৰক সজাগ কৰি তোলাৰ আঁচনিত শাখা সভাবোৰে সক্রিয় সহযোগিতা আগবঢ়াব পাৰে। শাখা সভা প্রতিষ্ঠাৰ যুক্তিযুক্ততা কার্যেৰে প্রমাণ কৰিব লাগিব।

অসম প্রকাশন পৰিষদে কিছু উল্লেখযোগ্য গ্রন্থ প্রকাশ কৰিছে। আনন্দৰাম বৰুৱাৰ গ্রন্থৱাজি, হস্তীবিদ্যার্ণৱ, গোহাঁই বৰুৱা, ফণী শর্মা আদিৰ ৰচনাৱলী প্রকাশৰ কাম প্রকাশন পৰিষদৰ নিচিনা অনুষ্ঠানৰ বাহিৰে আনে হাতত ল'ৰলৈ সাহস নকৰে।

পুথি নির্বাচনৰ ক্ষেত্রত, ছপা কৰোৱা বিষয়ত, সামর্থ্যহীন সাহিত্যিককলৈ অর্থ-সাহায্য আগবঢ়োৱা আদি বিষয়ত যাতে আসোঁৱাহ নাথাকে তাৰ প্রতি দৃষ্টি ৰখা দৰকাৰ।

হস্তীবিদ্যার্ণৱৰ নিচিনা দুই-চাৰিখন মূল্যবান গ্রন্থৰ সংকলন, সম্পাদন, অনুবাদ, মুদ্রণ আদিৰ ক্ষেত্রত শুদ্ধতৰ অনিয়ম হোৱা বুলি অভিযোগ উঠিছে। ভুল অনুবাদ, মূলত নথকা কথা সন্নিবিষ্ট কৰা, ঠায়ে ঠায়ে অনুবাদ নকৰাকৈ এৰি যোৱা, এইবোৰ অসাৱধানতাৰ কাৰণে নে অতিপাত খৰখেদা কৰাৰ কাৰণে ঘটিবলৈ পালে সন্ধান কৰাৰ অৱকাশ আছে।

আজিলৈকে হস্তীবিদ্যার্ণৱৰ বাহিৰে আন কোনো অসমীয়া গ্রন্থ তিনি চাৰি লাখ টকা খৰচ কৰি প্রকাশ কৰা হোৱা নাই। হস্তীবিদ্যার্ণৱৰ মূল্য তাৰ কথাখিনিতকৈ চিত্রখিনিৰহে অধিক। অথচ এই চিত্রাংকণ সম্পর্কে আৰু শিল্পী দুজন-দিলৱাল আৰু দোসাই সম্পর্কে আৱশ্যকীয় আলোচাই নহ'ল। লাখ লাখ টকীয়া এখন কিতাপত ভুল ৰৈ গ'লে, সেই ভুলো লাখটকীয়া ভুল হয়। ইমান দামী ভুল কৰিবলৈ অসমীয়া ৰাইজৰ গাঁথিত ধন আছে জানো?

হস্তীবিদ্যার্ণৱৰ এটা কপি উজনি অসমৰ এখন সত্রত আছে বুলি জনা যায়। প্রকাশন পৰিষদে ছপাশালালৈ যোৱাৰ আগতে এই কপিটোৰো সন্ধেদ ল'ব লাগিছিল।

প্রকাশন পৰিষদে বর্তমান যুগুতাই থকা অসমীয়া বিশ্বকোষত যাতে পূর্ব ভাৰতৰ তথা অসমৰ উল্লেখযোগ্য সকলো প্রসংগই ঠাঁই পায়, আৰু তথ্য আৰু সংবাদবোৰ যাতে নির্ভুল ত্রুটীহীন হয় তাৰ প্রতি লক্ষ্য ৰখা হ'ব বুলি আমি আশা কৰিছোঁ। সম্ভাব্য বিতর্কমূলক প্রসংগবোৰৰ বিষয়ে আগতীয়াকৈ সংশ্লিষ্ট বিশেষজ্ঞসকলৰ অভিমত সংগ্রহ নকৰাকৈ হুৱমুৰ কৰি এই ব্যয়বহুল গ্রন্থমেলা ভুলে ভালে প্রকাশ কৰি উলিয়ালেই দায়িত্ব শেষ নহয়। ই এক মহা মূল্যবান জাতীয় সম্পত্তিৰূপে পৰিগণিত হ'ব পৰাকৈ, সকলো প্রকাৰৰ সতর্কতামূলক ব্যৱস্থা অৱলম্বন কৰা হ'ব বুলি সকলোৱে আশা কৰিছে।

অসম প্রকাশন পৰিষদ এটা জাতীয় অনুষ্ঠান। ইয়াৰ যোগেদি অসমৰ জাতীয় মর্যাদা সুপ্রতিষ্ঠিত হওক, ই আমাৰ ভাষা-সাহিত্যৰ শ্রীবৃদ্ধি কৰক, আমি তাকে আশা কৰিছোঁ।

অসম পাঠ্যপুথি প্রকাশন নিগমৰ পৰা যিবোৰ পাঠ্যপুথি প্রকাশ হয়, সেইবোৰৰ ভাষা, আখৰ জোঁটনি, বিষয়বস্তু নির্বাচন, প্রসংগ উত্থাপন আদি যাতে দোষমুক্ত হয়, তাৰ প্রতি দৃষ্টি ৰখা বাঞ্ছনীয়। নিগমে সংকলন আৰু প্রকাশ কৰা পাঠ্যপুথিবোৰত যাতে ৰাষ্ট্রীয় আদর্শ সম্পর্কে, পৃথিবীৰ সভ্যতা-সংস্কৃতি সম্পর্কে, যুগান্তকাৰী ৰাজনৈতিক, অর্থনৈতিক, সামাজিক বিপ্লৱ আদি সম্পর্কে শিক্ষার্থীৰ উপযোগী প্রবন্ধাদি অন্তর্ভুক্ত কৰা হয়, তাৰ প্রতিও চকু দিয়া দৰকাৰ। পাঠ্যপুথি প্রণয়ন আৰু প্রচলন দায়িত্ব নিজৰ হাতলৈ নি দেশৰ ভৱিষ্যত নাগৰিকসকলক গণতান্ত্রিক, সমাজবাদী, ধর্মনিৰপেক্ষ নাগৰিক হিচাপে গঢ়ি তোলাৰ সুযোগ চৰকাৰে পাইছে। পাঠ্যপুথি নিগম এই দায়িত্ব সম্পর্কে সদায় সজাগ থাকিব বুলি আশা কৰিছোঁ।

বিজ্ঞানৰ শিক্ষা মাতৃভাষাৰ যোগেদি দিবলৈ লোৱা হৈছে। বিভিন্ন স্তৰৰ পাঠ্যপুথিবোৰৰ বিষয়বস্তু আৰু ভাষা সাধাৰণ মানুহবোৰ বোধগম্য কৰিব পৰা যায় নেকি বিচাৰ কৰি চোৱাৰ অৱকাশ আছে। বিজ্ঞানৰ কঠিন আৰু জটিল বিষয়বস্তুবোৰ সর্বসাধাৰণেও বুজিব পৰা আৰু উপভোগ কৰি পৰা কৰি প্রকাশ কৰাৰ ক্ষেত্রত অসম বিজ্ঞান সমিতিয়ে Assam Science Society আগভাগ ল'ব বুলি আশা কৰিছোঁ।

পৃথিবীৰ ক্রান্তিকাৰী বৈজ্ঞানিক আবিষ্কাৰ আৰু উদ্ভাৱনবোৰৰ চমকপ্রদ কাহিনী আৰু প্রখ্যাত বৈজ্ঞানিকসকলৰ জীৱনী, কার্যাৱলী আদি সুখপাঠ্য সাহিত্যৰূপে লিখি প্রকাশ কৰিলে, বিজ্ঞান আৰু বৈজ্ঞানিকৰ প্রতি ৰাইজৰ আকর্ষণ বাঢ়িব আৰু এটা বাতাৱৰণবো সৃষ্টি হ'ব। পৃথিবীৰ সকলো উন্নত ভাষাত থকাৰ দৰে আমাৰ ভাষাতো এনে গ্রন্থ প্রকাশ হ'ব লাগে। অসম সাহিত্য সভায়ো এনে এলানি গ্রন্থ প্রণয়ন কৰোৱাৰ আৰু প্রকাশ কৰাৰ চিন্তা কৰিব পাৰে। এনে আঁচনিৰ বাবে চৰকাৰী অর্থ-সাহায্যৰ অভাৱ নিশ্চয় নহ'ব।

মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষার্থীৰ কাৰণে যুগুতোৱা বিজ্ঞান-বিষয়ক পাঠ্যপুথিবোৰ অসমীয়া ভাষাতে ৰচিত হ'লেও, সার্বজনীনভাৱে ইংৰাজী ভাষাত ব্যৱহৃত ইংৰাজী শব্দবোৰ অসমীয়াৰ প্রতিশব্দ হিচাপে শিকোৱাৰ ব্যৱস্থা ৰাখিব লাগে। সেয়ে নহ'লে এজন বিজ্ঞানৰ উচ্চতম ডিগ্রীধাৰী ছাত্রৰ শিক্ষাও অসমৰ বাহিৰত অকাৰ্যকৰী বুলি বিবেচিত হ'ব পাৰে। ইংৰাজী ভাষা জানিলে আৰু বিজ্ঞানৰ সেই টেক্‌নিকেল শব্দবোৰ জানিলে অসুবিধাৰ সমুখীন হ'বলগীয়া নহ'ব পাৰে। সকলো প্রকাৰৰ, গোড়ামীয়েই বর্জনীয়।

অসমৰ পৰিচয়-জ্ঞাপক, ইয়াৰ নদীৰ বিষয়ে, পর্বতৰ বিষয়ে, গছ-গছনি বন-অৰণ্যৰ বিষয়ে, পক্ষীৰ বিষয়ে, খাদ্য শস্যৰ বিষয়ে খনিজ সম্পদৰ বিষয়ে, বিভিন্ন গোষ্ঠীৰ অসমবাসী মানুহৰ বিষয়ে, সাজ-পোছাকৰ বিষয়ে, উৎসৱৰ বিষয়ে, শিল্প, ভাস্কর্য, উদ্যোগৰ বিষয়ে-সর্বসাধাৰণ পাঠকৰ উপযোগী, বর্ণনামূলক, সচিত্র পুথি প্রকাশ কৰিবৰ প্রয়োজন আছে। এই কিতাপবোৰ তথ্যগধুৰ নহৈ সুখপাঠ্য হ'লে জনপ্রিয় হোৱাৰ সম্ভাৱনা আছে।

অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে বর্তমান কি কৰি আছে বাইজে বৰ বেছি গম নেপায়। অসমৰ বুৰঞ্জীবোৰ মূল্য আমাৰ এক অমূল্য সম্পদ। সেইবোৰৰ ভাষা, সাহিত্যিক মূল্য আদি নির্ণয়ৰ কাৰণে (কেৱল সংবাদবোৰৰ কাৰণেই নহয়) গৱেষণাৰ থল আছে।

পূর্ব-ভাৰতৰ এখন পূর্ণাংগ, শুদ্ধ আৰু বিজ্ঞানসম্মতভাৱে ৰচিত ইতিহাস গ্রন্থৰ প্রয়োজন বহুদিনৰপৰা অনুভৱ কৰি অহা হৈছে। এনে এখন বুৰঞ্জীয়েহে পূর্ব ভাৰত তথা অসমৰ এটা পূর্ণ পটভূমিৰ ধাৰণা আজিৰ এই অঞ্চলৰ লোকক দিব পাৰিব। আমাৰ বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠানত চলোৱা ইতিহাস গ্রন্থবোৰো আসোঁৱাহমুক্ত নহয়, বহু সময়ত সংকীর্ণ পক্ষপাতদোষদুষ্ট। কোনো কোনো বুৰঞ্জীয়ে দেশপ্রেমৰ প্রেৰণা জাগ্রত কৰাৰ সলনি আঞ্চলিক, সাম্প্রদায়ক বিদ্বেষৰ ভাৱহে জগাই তোলে।

বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে বিজ্ঞানসম্মত গৱেষণাৰ যোগে ইতিহাসৰ দ্বন্দাত্মক সত্য নির্ণয় কৰি নিৰপেক্ষ, বস্তুনিষ্ঠ বুৰঞ্জী প্রণয়ন কৰা দৰকাৰ। এনে বুৰঞ্জী যাতে ঘটনাক্রমৰ নিৰস, প্রাণহীন বিৱৰণ নহৈ ৰাজনৈতিক উত্থান-পতন, সামাজিক বিবর্তন, শিল্প-ভাস্কর্য, ভাষা-সাহিত্য সকলোৰে এক প্রেৰণাদায়ক বিশুদ্ধ দলিল হয় তাৰ প্রতি আৱশ্যকীয় মনোযোগ দিলে, জাতি গঠনৰ ভেঁটি ৰচনালৈ ই ৰৱঙনিস্বৰূপ হ'ব।

Assam Academy ৰ নিচিনা অনুষ্ঠানে সুপৰিকল্পিত প্রকাশনেৰে অসমৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি বাহিৰ জগতবো দৃষ্টি আকর্ষণ কৰিব পাৰে আমাৰ বাতৰি কাকত আৰু আলোচনীবোৰেও মাজে মাজে বিভিন্ন বিষয়ৰ বিশেষ সংখ্যা প্রকাশ কৰিব পাৰে। এই বিষয়ত অসম চৰকাৰৰ প্রচাৰ বিভাগে কিছু কাম কৰিছে। সুপৰিকল্পিত আৰু সুলিখিত গ্রন্থক প্রচাৰধর্মী নকৰিলেও সি প্রচাৰৰ কামেই কৰে। বিজ্ঞাপন কোনোবাই বিশ্বাস নকৰিবও পাৰে, সাহিত্যক বিশ্বাস কৰে।

আজিকালি অসমীয়া মানুহে বাতৰি কাকত পঢ়ে। বাতৰি কাকতে কেৱল সংবাদ পৰিবেশনেই নকৰে, ভাষাৰ প্রচাৰতো সহায় কৰে। অসমীয়া বাতৰি কাকতকেইখনে নির্ভুল সংবাদ পৰিবেশন কৰাৰ লগতে, ভাষা যাতে শুদ্ধ আৰু সুখপাঠ্য হয় আৰু আখৰ-জোঁটনি যাতে নির্ভুল হয়, তাৰ প্রতি চোকা দৃষ্টি ৰখা প্রয়োজন। অনুবাদ কৰা বাতৰিবোৰেও যাতে মূলৰ অর্থ অবিকৃত ৰাখে তালৈকো চকু দিয়া দৰকাৰ। বাতৰি কাকতক দিনেকীয়া সাহিত্য বুলিও যদি ধৰা যায়, তাৰ ভাষা, আখৰ জোঁটনি বিষয়বস্তুৰ পৰিবেশন আদিৰ পাঠকৰ ওপৰত পৰা প্রভাৱ সম্পর্কে সংশ্লিষ্ট লোকসকল আৰু বাতৰি কাকতৰ পৰিচালকসকল সজাগ থকা বাঞ্ছনীয়।

আঞ্চলিক ভাষাত বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্রণয়ন আৰু প্রকাশৰ কাৰণে কেন্দ্রীয় অর্থসাহায্য আগবঢ়োৱা হৈছে আৰু অসমৰ বিশ্ববিদ্যালয় দুটাই ইতিমধ্যে প্রায় সকলো পাঠ্যপুথি যুগুত কৰি প্রকাশ কৰিছে; কিন্তু ইয়াৰে কিছুমান পাঠ্যপুথি অন্য ভাষাৰ পৰা যান্ত্রিকভাৱে অনুবাদ কৰা হৈছে আৰু কিছুমানৰ ভাষা, বাক্যবিন্যাস আদিত অনভিজ্ঞ আৰু অপৰিপক্ক হাতৰ দেখ দেখ প্রমাণ পোৱা যায় বুলি অভিযোগ শুনা গৈছে। পাঠ্যপুথি অপাঠ্য হোৱাটো বা ছাত্র-ছাত্রীক কোনো বিষয় বুজাৰৰ কাৰণে লিখা কিতাপ বুজিব নোৱৰা হোৱাটো পৰিতাপৰ কথা। পাঠ্যপুথি লিখাটো টান কাম, বিশ্ববিদ্যালয়ৰ ডিগ্রী বা অর্থকৰী বিবেচনাই পাঠ্যপুথি ৰচকৰ অর্হতা নিদিবও পাৰে। আমাৰ পাঠ্যপুথিবোৰ আদর্শ পুথি হ'ব লাগে। কিয়নো এখন উপন্যাস বা কবিতা-পুথিৰ পাঠকতকৈ পাঠ্যপুথিৰ পাঠক সংখ্যাত শ শ গুণ বেছি আৰু পাঠ্যপুথিত যি পাঠ্যই থাকে তাকে পঢ়াটো শিক্ষার্থীৰ কাৰণে বাধ্যতামূলক। পাঠ্যপুথিৰ প্রভাৱ জীৱনজোৰা হয়।

অসমীয়া শব্দকোষত বিভিন্ন ভাষাৰ বহু শব্দ আছে। বিভিন্ন সময়ত বিভিন্ন শব্দ সোমাই অসমীয়াত জাহ গৈছে। নির্ভুল অর্থজ্ঞাপক অসমীয়া শব্দ থাকাতে তাক ব্যৱহাৰ নকৰি অন্য ভাষাৰ শব্দ ব্যৱহাৰ কৰাটো অবাঞ্ছনীয় কথা; কিন্তু প্রয়োজনীয় আৰু অপৰিহার্য অনা-অসমীয়া শব্দ ব্যৱহাৰ কৰিবলৈ ভয় কৰি বা অস্বীকাৰ কৰি, গাৰ বলেৰে কঠিন প্রতিশব্দ সৃষ্টি কৰি ৰাইজৰ ওপৰত জাপি দিবলৈ যত্ন কৰাৰো কোনো সার্থকতা নাই। এখন দিনে দিনে সৰু হৈ অহা পৃথিৱীত, নিজৰ এবুৰিমান শব্দকে সাৱটি ধৰি থাকি, পৃথিৱীৰ জ্ঞান-বিজ্ঞানৰ জগতখনত সোমোৱাটো সহজ কাম নহ'ব। ফাউণ্টেন পেনক নিজৰি কাপ বা টর্চ লাইটক চোৰ চাকি নাম দি আত্মপ্রসাদ লাভৰ চেষ্টা কৰিব পাৰি, নাইবা কে'প অৰ গুদ হ'পক উত্তমাশা অন্তৰীপ নাইবা টেবল অৰ ৰ'জেচক গোলাপ যুদ্ধ' নাম দি নামবাচক শব্দকো অসমীয়া কৰিবলৈ চেষ্টা কৰি শ্রমৰ অপচয়ৰ নিদর্শন দাঙি ধৰিব পাৰি; কিন্তু আন কোনোবাই যি মূলাগাভৰুক ৰেচিদ ইয়ং লেডী নাইবা 'কুকুৰাচাৰা ভূতৰ পুতেকৰ খবৰক' দি নিউজ অৰ দি ফাউল ৰাচিং ঘ'ষ্ট' কৰি প্রতিশোধ লয়, আমাৰ বাধা দিবৰ উপায় নেথাকিব। 'যোগ' শব্দটোৱেই নহয়, যোগসাধনা পদ্ধতিটোৱেই ভাৰতৰ উদ্ভাৱন। আজি ইউৰোপ-আমেৰিকা আৰু পৃথিৱীৰ বহু ঠায়ে এই শব্দটো 'যোগ' বুলিয়ে ব্যৱহাৰ কৰিছে। ইয়াৰ এটা স্থানীয় প্রতিশব্দ উলিয়াই অর্থ-বিকৃতিৰ বাট মুকলি কৰিবৰ অপচেষ্টা কৰা নাই। ক্ষেত্র আৰু প্রয়োজনবিশেষে বর্জন কৰাৰ শক্তি আৰু গ্রহণ কৰাৰ সাহস আমাৰ দুয়োটাই থকা দৰকাৰ। যুক্তিসম্মত সংৰক্ষণশীলতা অবাঞ্ছনীয় নহ'ব পাৰে, গোড়ামী বর্জনীয়। অদূৰ ভৰিষ্যততে পৃথিৱীৰ সকলো মানুহে এটা ভাষাৰ মাধ্যমেৰেই ভাৱৰ আদান-প্রদান কৰিবলৈ ল'ব পাৰে। বিজ্ঞানৰ উদ্ভাৱনক আশ্রয় কৰিয়ে এনে এটা আন্তর্জাতিক ভাষাই জন্ম লাভ কৰিব পাৰে। তাৰ কাৰণে সাজু হোৱাহে দৰকাৰ-জেওৱা-জপনা দিয়াত বেছি সময় নষ্ট কৰি লাভ নাই।

পুথিৰ ব্যৱসায় আৰু পুথি প্রকাশৰ ব্যৱস্থা অসমত এতিয়াও অসংগঠিত আৰু অনুন্নত অৱস্থাত আছে। কোনো কোনো প্রকাশকে প্রকাশিত পুথি বিক্রী কৰাৰ বিজ্ঞানসম্মত পদ্ধতি অনুসৰণ কৰি লাভবান হোৱাৰ চেষ্টা নকৰি, গ্রন্থকাৰজনকে ঠগি লাভবান হোৱাৰ যত্ন কৰে বুলি, পাঠ্যপুথিৰ বিক্রীৰ নিশ্চয়তা থকা হেতুকে বহু পুথি প্রকাশক আৰু প্রকাশন প্রতিষ্ঠানেই পাঠ্যপুথি প্রকাশৰ চিন্তাত থাকে বুলি, বহু প্রকাশকে অর্থৰ লোভত সস্তীয়া যৌন কাহিনী, ডিটেক্‌টিভ কাহিনী, থ্রীলাৰ, কাল্পনিক ৰোমাঞ্চ আদি প্রকাশ কৰাতে সমগ্র ব্যৱসায়-বুদ্ধি নিয়োগ কৰা বুলি, কোনো কোনো প্রকাশকে চৰকাৰী পুথিভঁড়াল, শিক্ষাবিভাগ, জনশিক্ষাবিভাগ আদিৰ বাহিৰে পুথি বেচা ঠাই আৰু ক'তো নাই বুলি ভাৱে বুলি বিভিন্ন অভিযোগ শুনা যায়।

অসমৰ লেখকসকলৰ নিজস্ব কোনো প্রকাশন প্রতিষ্ঠান নাই। তেওঁলাক নিজৰ লিখা প্রকাশৰ কাৰণে ব্যৱসায়ী প্রকাশকৰ ওপৰত নির্ভৰশীল কিতাপৰ বাবদ পাবলগীয়া পাৰশ্রমিক পোৱাত লেখকসকল যাতে প্রবঞ্চিত নহয় সেইটো সকলোৰে কাম্য। খটুওৱা মূলধনৰ বিনিময়ত প্রকাশকে যুক্তিসম্মত লাভ কৰিবলৈ ব্যৱস্থা লোৱাটো দোষণীয় নহয়; কিন্তু প্রকাশকে মনত ৰখা ভাল যে পুথি প্রকাশ ব্যৱসায়ত টকা প্রদান মূলধন নহয়, প্রকাশৰ কাৰণে লোৱা গ্রন্থৰ পাণ্ডুলিপিহে প্রকৃত মূলধন। যিজনী খীৰতী গায়ে গাখীৰ দিয়ে, তাইক খীৰাই থাকিলেই নহয়, ঘাঁহ-পানী খুৱাই তাইক জীয়াই ৰখাৰ দৰকাৰ।

লেখকক বঞ্চিত কৰি ধনী হ'বলৈ যোৱা প্রকাশকৰ ধনতান্ত্রিক অপ-কৌশল এখনসমাজবাদী সমাজৰ লগত খাপ নোখোৱা কথা। লেখক আৰু প্রকাশকৰ মাজৰ সম্পর্ক সততা, বিশ্বস্ততা আৰু সত উদ্দেশ্যৰ ভিত্তিত প্রতিষ্ঠিত হোৱা বাঞ্ছনীয়। ভাষা-সাহিত্যৰ প্রচাৰ আৰু বিস্তাৰৰ বিষয়ত প্রকাশকৰ এটা গুৰুত্বপূর্ণ ভূমিকা আছে। লেখকৰ সৃজনীপ্রতিভা আৰু প্রকাশকৰ ব্যৱসায়-বুদ্ধিৰ এটা মিলন ঘটাব পাৰিলে ভাষা-সাহিত্যৰ কল্যাণ সাধিত নহৈ নাথাকে। লেখক সদায় প্রকাশকতকৈ আগ এই কথা মনত ৰখা ভাল।

অসমত আৰবী, ফার্চী আৰু উর্দু ভাষা বহুকালৰ পৰা শিক্ষণীয় বিষয় হৈ আহিছে। সংস্কৃত ভাষাৰ গুৰুত্ব সম্পর্কে নতুনকৈ কোৱাৰ সকাম নাই। অসমত সংস্কৃত চর্চাৰ প্রাচীনত্ব এক ইতিহাস প্রসিদ্ধ কথা। বর্তমান মধ্য-প্রাচ্যৰ আৰবী, ফার্চীভাষী অঞ্চলবাৰৰ লগত ভাৰতৰ ৰাজনৈতিক, অর্থনৈতিক আৰু সামাজিক সম্পর্ক দিনে দিনে গাঢ়তৰ হৈছে। উর্দু ভাষা আৰু সাহিত্যৰ সমৃদ্ধিৰ কাৰণে কেন্দ্রীয় চৰকাৰে সর্বতোপ্রকাৰৰ উদগনি আগবঢ়াইছে।

অসমৰ বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠানত সংস্কৃত, আৰবী, ফার্চী আৰু উর্দু ভাষা শিকোৱাৰ বাধ্যতামূলক ব্যৱস্থা হোৱা বাঞ্ছনীয়।

আমাৰ গুৱাহাটী আৰু ডিব্রুগড় বিশ্ববদ্যালয়ে ফৰাচী, ৰুচ, চীন, জাপানী আৰু জার্মান ভাষাৰ নিচিনা ভাষা প্রশিক্ষণৰো ব্যৱস্থা কৰা উচিত। বর্তমান ভাৰতৰ দেশ-বিদেশৰ লগত আন্তর্জাতিক সম্পর্ক আৰু সমাগতদিনবোৰত ভাৰতৰ সম্পর্কৰ

সম্প্রসাৰণৰ সম্ভাৱা চকুৰ আগত ৰাখি, অসমে নিজক প্ৰস্তুত নকৰিলে সদায় আক্ষেপ কৰিয়ে থাকিব লাগিব পাৰে।

নিতান্ত সীমাবদ্ধ সুযোগ-সুবিধা থকা সময়তো আমাৰ পূৰ্বগামী সাহিত্যিকসকলে বহু মূল্যৱান অৰিহণা যোগাই গৈছে। বৰ্তমান আমাৰ সুযোগ-সুবিধা বহুগুণে বৃদ্ধি পাইছে; কিন্তু আমাৰ সাহিত্যৰ আশানুৰূপ সমৃদ্ধি (বিশেষকৈ মৌলিক, সৃজনীশীল সাহিত্যৰ) হোৱা বুলি দাবী কৰিব নোৱাৰি।

কিন্তু অসমীয়া সাহিত্যত একো নহ'ল আৰু একো নহ'ব বুলি হতাশা আৰু নিৰাশা প্ৰকাশ কৰিলেই সমস্যাৰ সহজ সমাধান নহয়। যিসকল আশাওধীয়া লেখকে ভাষা-সাহিত্যৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰে, নিজৰ শক্তি আৰু সামাৰ্থ্য অনুসৰি, শ্ৰম চেষ্টা কৰি, অসমীয়া সাহিত্যলৈ নিজা ৰঙণি আগবঢ়ায়, আৰু তাৰ বিনিময়ত অৰ্থকৰীভাবে লাভবান হোৱাটো দূৰৰ কথা, সাধাৰণ স্বীকৃতিও নেপায়, সেইসকলৰ নিঃস্বাৰ্থ শ্ৰমৰ ফলশ্ৰুতিয়েই অসমীয়া সাহিত্যক প্ৰাণশক্তি যোগাব আৰু আগুৱাই যোৱাৰ প্ৰেৰণা দিব।

মূৰ গুজিবলৈ এডোখৰ ঠাই নোহোৱা, জীৱিকাৰ সংস্থান নোহোৱা, লিখনী প্ৰকাশৰ সুবিধা নোহোৱা, অধ্যয়ন কৰিবলৈ কিতাপপত্ৰ কিনাৰ যোত্ৰ নোহোৱা, সংসাৰদায়গ্ৰস্ত, জীৱনভাৰ-ভাৰাক্ৰান্ত নিঃসম্বল এদল সাহিত্যসেৱীৰ পৰা উৎকৃষ্ট, মহৎ সাহিত্য সৃষ্টিৰ আশা কৰি বহি থকাটো আজিৰ যুগত শোভনীয় কাৰ্য বুলিব নোৱাৰি। সাহিত্যিকক একোকে নিদিয়াকৈ, সাহিত্যিকৰ পৰা সকলো পাবলৈ আশা কৰাটো উচিত নহয়।

লেখকক লেখক হৈ, শিল্পীক শিল্পী হৈ জীয়াই থকাৰ ব্যৱস্থা কৰক। আপোনাৰ গাঁথিৰ দুপইচা ভাঙি শিল্পী সাহিত্যিকক স্বপ্ন আৰু ঘামৰ দাম দিয়ক। লেখক সাহিত্যিকক আপোনাৰ সমাজখনৰ প্ৰয়োজনীয় মানুহ বুলি গণ্য কৰক।

অসম চৰকাৰে সাহিত্যিকক পেন্সন দিয়াৰ ব্যৱস্থা কৰি, শিল্পী সাহিত্যিকৰ ৰোগ চিকিৎসাৰ ব্যৱস্থা কৰি আৰু দুখীয়া শিল্পী সাহিত্যিকৰ পৰিয়াললৈ অৰ্থ-সাহায্য আগবঢ়াই প্ৰশংসনীয় কাৰ্য কৰিছে। ইয়াৰ বাবে চৰকাৰ ধন্যবাদৰ পাত্ৰ।

আজিৰ সংগ্ৰামশীলতাৰ যুগত, দুৰ্বাৰ আৰু অবিশ্বাস্য গতিৰ যুগত অলপ কিছু কৰিয়ে, অসমীয়া সাহিত্যিকে তাহানিৰ অসমীয়া ডাঙৰীয়াৰ ভেমেৰে আত্মপ্ৰসাদত গদ গদ হৈ বহি থাকিলেও আমাৰ সাহিত্য আগুৱাই নেযায়। সময়ৰ লগত খোজ মিলাব নোৱৰাৰ বাবেই আমি পিছ পৰি আছো। যুগৰ প্ৰত্যাহ্বানৰ প্ৰতি সক্ৰিয় সঁহাৰি জনাই আমি নিজস্ব শক্তি আৰু সামাৰ্থ্যৰ প্ৰমাণ দিব লাগিব।

সাহিত্যিকৰ নিজস্ব কাৰ্যক্ষেত্ৰ আৰু দায়িত্ব সম্পৰ্কে সাহিত্যিক সজাগ থকা দৰকাৰ। স্বাধীন ভাৰতত যি নতুন পৰিৱেশত সামাজিক ৰূপান্তৰৰ অভিযান আৰম্ভ হৈছে, শিল্পী-সাহিত্যিকসকল তাৰ নিষ্ক্ৰিয়, উদাসীন দৰ্শক হৈ থাকিব নোৱাৰে। দেশ আৰু দেশবাসীৰ সম্পৰ্কে চিন্তা কৰাৰ সকলো দায়িত্ব ৰাজনীতিবিদৰ হাতলৈ এৰি দি, পিছত আশানুৰূপ ফল লাভ নোহোৱাৰ বাবে ৰাজনীতিবিদক দোষাৰোপ কৰাৰ কোনো সাৰ্থকতা নাই। জাতিৰ জীৱনৰ অগ্ৰগামী পৰিক্ৰমাত সাহিত্যিকৰ জানো অংশগ্ৰহণ কৰিবলগীয়া নাই?

সাহিত্যিকে ৰাজনীতিবিদৰ পৰা প্ৰেৰণা ল'ব নে ৰাজনীতিবিদে সাহিত্যিকৰপৰা প্ৰেৰণা ল'ব?

ইয়াৰ উত্তৰ কোনে দিব- সাহিত্যিকে নে ৰাজনীতবিদে?

সচেতন সাহিত্যপ্ৰেমী অসমৰ ৰাইজৰ সম্মুখত আজি এটাই প্ৰশ্ন : অসমৰ ১৪৬ লাখ মানুহৰ ১২ লাখ মাথোন নগৰত থাকে। ১৩৪ লাখ থাকে গাঁৱত। এই ১৩৪ লাখৰ ভিতৰত শতকৰা ৯১ ভাগ অৰ্থাৎ ১১৫ লাখ মানুহ আজিও নিৰক্ষৰ। অসমীয়া ভাষা সাহিত্যই কাৰ ওপৰত ভিত্তি কৰি, কাক অৱলম্বন কৰি বিস্তৃতি আৰু সমৃদ্ধি লাভ কৰিব? এমুঠি শিক্ষিত মানুহে এমুঠি শিক্ষিত মানুহৰ কাৰণে, সাহিত্য লিখি থাকিলে, ইয়াৰ বাহিৰৰ জনসাধাৰণৰ মন আৰু হৃদয়ক যুগৰ বাণীৰ আহ্বানে ছুবগৈ জানো?

আমি আজি একবিংশ শতিকাৰ পদুলিমুৰত থিয় দিছোঁহি। সমাগত সেই নতুন শতিকাক আমি কি উপহাৰ দি আদৰণি জনাম?

টিপচহী দিয়া কিছুমান নিৰক্ষৰ অন্ধ মানুহ?

ছবিক ভোট দিয়া কিছুমান নিৰক্ষৰ অজ্ঞ মানুহ?

পৃথিবীৰ অগ্ৰগতৰ শোভাযাত্ৰাত শেষৰ শাৰীত অসহায়ভাৱে থিয় দি থকা কিছুমান অবোধ পুতলা?

আমি আশা কৰিব নোৱাৰোনে যে অহা ২০ বছৰৰ ভিতৰত যিখন অসম জীৱন্ত হৈ উঠিব সি হ'ব সৰ্বজন-সাক্ষৰ, সুশিক্ষিত, সাহিত্য-সংস্কৃতি-জ্ঞান-বিজ্ঞানৰ ঐশ্বৰ্যসমৃদ্ধ এখন নতুন অসম, য'ত বিচাৰিলেও এনে টো পৰিয়াল পোৱা নেযাব, যি

নিৰক্ষৰতা কি বুজি পায়। অসম সাহিত্য সভাৰ প্ৰতিখন অধিৱেশনে আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ নতুন দিগন্ত আৱিষ্কাৰৰ স্বাক্ষৰ বহন কৰক। এক নতুন সাহসিক পদক্ষেপৰ কাৰণে কাৰ্যকৰী সংকল্প গ্ৰহণ কৰিবলৈ শিল্পী-সাহিত্যিকৰ কাৰণে ক্ষেত্ৰ প্ৰস্তুত কৰক। প্ৰতিখন অধিৱেশনে আত্মজিজ্ঞাসা, আত্মবিশ্লেষণ আৰু বিকাশ প্ৰকাশৰ পথ অন্বেষণৰ কাৰণে প্ৰেৰণা আৰু প্ৰত্যয় দান কৰক, এখন অধিৱেশন আৰু পৰৱৰ্তী অধিৱেশনৰ মাজৰ কালছোৱা অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ অগ্ৰগতিৰ স্বাক্ষৰ-বহনকাৰী ইতিহাস হওক। সভাৰ প্ৰতি থকা ৰাইজৰ আগ্ৰহ উদ্দীপনা সাহিত্যকৰ্মীৰ কাৰণে আত্মনিয়াগৰ আহ্বান হওক।

অসম সাহিত্য সভাই সদ্দিচ্ছা আৰু সদ্ভাৱৰ মাজেদি, বিভিন্ন মতাদৰ্শৰ সমন্বয়ৰ মাজেদি, অকপট পাৰস্পৰিক শ্ৰদ্ধা আৰু বুজাবুজিৰ মাজেদি সমগ্ৰ উত্তৰ-পূব ভাৰতৰ সংহতি, সম্প্ৰীতি আৰু ঐক্য গঢ়ি তোলক। অৰুণাচল, নগালেণ্ড, মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, মিজোৰাম, অসম, চিকিমৰ সদৌ ৰাইজৰ মন আৰু হৃদয়ৰ মিলনক্ষেত্ৰ হওক অসম সাহিত্য সভা। চেনেহ আৰু শ্ৰদ্ধাৰ দুবাহু মেলি আমি সকলাকে বুকুৰ কাষলৈ চপাই আনো, সম্প্ৰীতিৰ এক নতুন নিশ্বাসৰ মাজত আমাৰ সৃজনীশক্তি সঞ্জীৱিত হৈ উঠক।

অসমখন আকাৰত আগতকৈ সৰু হৈ গৈছে; কিন্তু অসম সাহিত্য সভাখন ডাঙৰ হৈ গৈছে। এনে অৱস্থাত সভাপতিৰ অভিভাষণখন সৰু হ'ব লাগেনে ডাঙৰ হ'ব লাগে, মই থিৰাং কৰিব নোৱাৰিলো। অভিভাষণ চমু কৰিবৰ কাৰণেই বিভিন্নজনে পৰামৰ্শ দিছিল। চুটি গল্পৰ লেখক হিচাপে ময়ো চুটি কৰিবৰে চেষ্টা কৰিছিলো; কিন্তু মই দুই এখন উপন্যাসো লেখিছোতো। সেইবাবে যদি অভিভাষণখনে চুটিগল্পৰ সীমাত নৰৈ উপন্যাসৰ আকাৰ ধাৰণ কৰিলে, তাৰ বাবে গলবস্ত্ৰ হৈ ক্ষমা বিচাৰিছো। আপোনাসকলৰ ধৈৰ্যৰ অভাৱ হ'ব পাৰে, ক্ষমাগুণৰ অভাৱ নিশ্চয় নহ'ব বুলি আশা কৰিলো।

অভয়াপুৰীৰ এই মিলনক্ষেত্ৰত সমৱেত হোৱা সাহিত্যিক সাহিত্যানুৰাগী, শিল্পী, সংস্কৃতিসেৱী আৰু সদৌ ৰাইজৰ পৱিত্ৰ মঞ্চৰ পৰা, অসমৰপৰা, ভাৰতৰপৰা আজি আমি পৃথিৱবাসীলৈ আহ্বান জনাইছো ঃ

জগতৰ সকলো মানুহৰ কাৰণে পোহৰৰ পৃথিৱীৰ দুৱাৰ মুকলি কৰি দিয়া; জ্ঞান-বিজ্ঞানৰ উদাৰ আশীৰ্বাদেৰে বিশ্ববাসীৰ জীৱনৰ পথ সুগম আৰু নিৰাময় কৰ তোলা; হাজাৰ হাজাৰ বছৰৰ মাজেদি বিকশিত হোৱা মানুহৰ সভ্যতা, সংস্কৃতি, মনীষা আৰু প্ৰতিভাক নতুন স্বীকৃতিৰে মহীয়ান কৰি তোলা; কৃষক শ্ৰমিক, সাহিত্যিক, শিল্পী, বৈজ্ঞানিক, ৰাজনীতিবিদ, সংস্কৃতিসাধক, বুদ্ধিজীৱী সকলোৰে সম্মিলিত অৱদানেৰে নতুন শান্তিৰ পৃথিৱী, মৈত্ৰীৰ পৃথিৱী, যুদ্ধৰ আশংকামুক্ত পৃথিৱী, মানৱতাৰ উন্মুক্ত পৃথিৱী ৰচনা কৰি তোলা। সৌন্দৰ্যেৰে, পৱিত্ৰতাৰে, কল্যাণেৰে সভ্যতাৰ অভিযানক সফল কৰি তোলাৰ পথ ৰচনা কৰা।

অসমৰ সাহিত্য অসমীয়া সাহিত্য হওক। অসমীয়া সাহিত্য ভাৰতীয় সাহিত্য হওক। সেই ভাৰতীয় সাহিত্য বিশ্ব-সাহিত্য হওক। অসমীয়া সাহিত্যই বিশ্ববাসীৰ হৃদয়ে হৃদয়ে মহামানৱতাৰ সোণালী সেতু ৰচনা কৰক।

অসমীয়া সাহিত্য মানুহৰ সাহিত্য হওক।

-- ❋ --

পঞ্চচত্বাৰিংশ সম্মিলন

গোলাঘাট, ১৯৭৮ খ্ৰীঃ

প্ৰসন্নলাল চৌধুৰী

শ্ৰদ্ধাস্পদ, আদৰণি মণ্ডলীৰ সভাপতি মহোদয়, উপস্থিত ভাই-ভনীসকল, ভাজনৰ হিয়াভৰা ভক্তি আৰু সেৱা গ্ৰহণ কৰক, যি আসনত স্বৰ্গীয় পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, বেনুধৰ ৰাজখোৱা, অমৃতভূষণ অধিকাৰী বহি গৈছে সেই পূণ্য আসনত এই অকীৰ্তি অধম ভাষা জননীৰ নিঃকিন পূজাৰীক বহিবলৈ দি মোক কিয় অপৰাধী কৰিলে সেই কথা আপোনালোকেহে জানে।

অসমীয়া ভাষা আজি আৰু চালুকীয়া অৱস্থাত নাই। ই এতিয়া এটা পূৰ্ণবিকশিত ভাষা। এনে এতিয়াও আমাৰো কিছুমান আৰু ভাৰতৰ আন কোনো ভাষা-ভাষীৰ মনত অসমীয়া এটা নিম্ন শ্ৰেণীৰ ভাষা। কিন্তু সেই ভুল ধাৰণা আঁতৰিবলৈ বেছি সময় নালাগিব যদি তেওঁলোকে মুকলি মনেৰে এই ভাষাৰ বুৰঞ্জী অধ্যয়ন কৰে। অসমীয়া কোনোকালেই এটা তল শ্ৰেণীৰ ভাষা নাছিল। অৱশ্যে বৃটিছৰ আগমনৰ লগে লগে অসমীয়া ভাষাই বহু আঘাত সহিবলগীয়া হৈছিল। অসমতকৈ বহুত আগতে বৃটিছ শাসনলৈ যোৱা অসমৰ ওচৰ-চুবুৰীয়া বংগদেশ ইংৰাজী ভাষা-সাহিত্যৰ সহায়ত টনকিয়াল হৈ উঠি অসমীয়া ভাষাক এটা অপভ্রংশ ভাষা বুলি ভাবি অসমীয়া ভাষাৰ উন্নতিক বহু বছৰ পিছপেলাই থৈছিল। কিন্তু পিছত আনন্দৰাম ঢেকিয়াল ফুকনৰ যত্নত আৰু খৃষ্টিয়ান মিছনাৰীসকলৰ সহায়ত অসমীয়া ভাষাই পুনৰ ঠন ধৰি উঠিছে। সেই সময়তে কলিকতাত শিক্ষা লাভ কৰি থকা ডেকা ছাত্ৰ হেমচন্দ্ৰ গোস্বামী 'চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আদিয়ে জোনাকী কাকত উলিয়াই এটা নতুন যুগৰ সৃষ্টি কৰিলে। তাৰেই স্মৃতি বহন কৰি এই ভূমিৰ নামকৰণ হোৱাটো অতি অনুপ্ৰেৰণাদায়ক। বৃটিছৰ পৰাধীনতাস্বৰূপ একোটি দোষ-গুণ সন্নিপাতে, নিমজুতিন্দ কিৰণুযে শ্ৰীবিংকে বুলি ক'ব পাৰি। অসমৰ বহুমুখী অগ্ৰগতিত কিন্তু এই কথা স্বীকাৰ কৰিবই লাগিব যে পৰাধীনতা একমাত্ৰ দোষ হ'লেও, ই বহুদোষৰ জন্মদাতা। যদি দেহত প্ৰাণ শক্তি থাকে এই দোষবোৰ জয় কৰিব পাৰি।

অসমীয়া ভাষা বৈষ্ণৱ যুগৰ পিছৰ পৰাই আজিলৈ যুঁজ কৰিয়েই বৰ্তি আছে। ভাৰতৰ এচুকত পৰি থকা আমাৰ অসম ভূমিত, অনামীকালৰপৰা এই কামৰূপ ৰাজ্য ভাৰতীয় শাস্ত্ৰকাৰসকলৰ অৱহেলাই পাই আহিছে, শত্ৰুতা পাই আহিছে। মন কৰক, নৰক ভগদত্তক বধ কৰিলে সহস্ৰবাহু বানক বধ নকৰি শিৱই অমৰ অজৰ কৰি কৈলাশলৈ পঠোৱাৰ ব্যবস্থা কৰিছে, নৰকাসুৰক শ্ৰীকৃষ্ণৰ হতুৱাই বধ কৰাই শান্তি লভিছে। মহাবাহু ব্ৰহ্মপুত্ৰৰ দৰে নদীক ভাৰতৰ পৱিত্ৰ নদীবিলাকৰ নাম নাৰাখি এফলীয়া কৰি এৰিছে। কিন্তু বৰ্তমান যুগৰ এজন স্বদেশভক্ত কবি ভোলানাথ দাসে, কিবা এটা কবিতাত ভাৰতৰ পুণ্যতোৱা নদীবিলাকৰ লগত এই ব্ৰহ্মপুত্ৰকো সামৰি লিখিছে গংগা, সিন্ধু, ব্ৰহ্মপুত্ৰ আদি সেই ভোলানাথ দাসৰ কবিতা এতিয়া অচল। তেখেতৰ কবিতাকে জোনাকী যুগৰ লেখক বেজবৰুৱা ডাঙৰীয়াই কঠোৰ সমালোচনা কৰি উৎখাত কৰিছিল। বংগ সাহিত্যতো সেয়েই হৈছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে সাহিত্য জগতত প্ৰৱেশ কৰিয়েই মহাকবি মাইকেল মধুসূদন দত্তৰ কবিতাবো তেনে সমালোচনা কৰিছিল। যিহওক, পশ্চিম ভাৰতীয়সকলে কামৰূপ জয় কৰিবলৈ সদায় তৎপৰ হৈ আছিল। শ্ৰীৰাম চন্দ্ৰৰ

পূর্ব-পুৰুষসকলে সৰ্বজন সমাদৃত কাব্য আদিত প্ৰাগজ্যোতিষ কামৰূপৰ নামত উল্লেখ কৰি সেইবিলাকত বৰ্ণনা কৰা বিষয়বস্তুৰ গুৰুত্ব আৰু মৰ্যাদা বাঢ়িছিল বুলি গ্ৰন্থকাৰসকলৰ ভাৱ আছিল। সীতাক বিচাৰি সুগ্ৰীৱৰ অনুচৰসকলো নৰক ৰাজ্য প্ৰাগজ্যোতিষপুৰলৈ অহাৰ কথা ৰামৰ আগত কৈ সুগ্ৰীৱে তেওঁৰ অনুসন্ধান কিমান নিখুঁত আছিল তাকে বৰ্ণাই নিজৰ গৌৰৱ প্ৰকাশ কৰিছিল। সূৰ্যবংশীয় ৰঘুৰ পুত্ৰ অজ বিবাহ যাত্ৰাত কইনাঘৰৰ হাতীৰপৰা নামোতে প্ৰাগজ্যোতিষ অধিপতিৰ হাতত ধৰি নমাৰ কথা কৈ কালিদাসে অজ যে কিমান মহান তাকেই প্ৰকাশ কৰিছে। তদুপৰি ৰঘুৱে যে প্ৰাগজ্যোতিষৰ ৰজাক পৰাস্ত কৰি তেওঁৰ ৰণজয়ী হাতীবোৰো উপহাৰ লৈ গৈছিল এইটোৱেই দেখুৱাইছে যে ৰঘুৱে প্ৰাগজ্যোতিষপুৰকো জয় কৰিছিল, সেয়ে প্ৰাগজ্যোতিষ ৰজাক কম কৰি নেদেখুৱায়। ৰৱং তাৰ বিপৰীতটোহে প্ৰকাশ কৰে। ৰঘুৰ দিগ্বিজয়ত অন্যান্য ৰজাৰ উল্লেখ বিশেষভাৱে দেখা নাযায়। কিন্তু কামৰূপ পৰাজিত ৰাজ্য হ'লেও ইয়াক প্ৰবল প্ৰতিদ্বন্দ্বী কৰি বহুৰূপে দেখুৱা হৈছে। পূৰ্বৰ কামৰূপখনেই আছিল, সেই কামৰূপৰ খণ্ডিত ৰূপ অসমৰ ঠাই আজি বিশাল ভাৰতবৰ্ষত ক'ত? আজি ই ভাৰতৰ এচুকত পৰি থকা কেইখনমান সৰু সৰু জিলা। বৃটিছ শাসনৰ সুবিধাৰ অৰ্থে সৃষ্ট আজি এই যুগ-যুগান্তৰ কীৰ্তি মণ্ডিত কামৰূপ দেশ। এখন হিন্দী সাম্ৰাজ্যবাদীসকলৰ ইচ্ছাধীন শোষণৰ ক্ষেত্ৰ এই প্ৰাচীন সংস্কৃতিৰ সমৃদ্ধিৰ ক্ষেত্ৰ বিশাল কামৰূপ ৰাজ্যৰ নামটো মহাকবি ৰবীন্দ্ৰনাথৰো চকুত বা কল্পনাতো নপৰে, দেখা নিদিয়ে। সেয়ে তেওঁৰ বিতৰ্কমূলক জাতীয় সংগীতত ঠাইনাপায়, তাতে যদি ভাৰতৰ অন্যান্য ৰাজ্যবিলাকৰ নামত কামৰূপ নামটো অসমীয়াৰ ফালৰপৰা লগ হৈ দিয়া হয়, তেতিয়াও ভাৰতৰ উঠিৰজা বহিৰজা জৱাহৰলাল নেহৰুৱে আঁতৰাই দিয়ে।

এনে হৈছে আমাৰ ৰাজনৈতিক অৱস্থা। এনে অৱস্থা হ'ব বুলিয়েই আগতে চিন্তাশীল সুধী জ্ঞান ৰৱাদেৱে অসমক এখন সুকীয়া দেশ হিচাপে ৰখাৰ দিহা দিছিল। সেইটো কৰাৰ বাটত বহু বাধা আৰু অসুবিধা আছিল। তেনেকুৱা অৱস্থাৰ সৃষ্টি নগাবিলাকৰ এটা শক্তিশালী দলে প্ৰাণপাত কৰি আছিল অসীম ত্যাগ স্বীকাৰ কৰি। আমাৰ পক্ষে সেই কাম কৰিবলৈ কোন আগবাঢ়িলেহেঁতেন? সেয়ে এসময়ত ক্ষিপ্ত হৈ লিখিবলৈ বাধ্য হৈছিলোঁ—

আজি আমি থকা হ'লে
তাহানিৰ দৱে দানৱ অসুৰ
অনাৰ্য কিৰাত সদলবলে
কথাই কথাই হয় ৰক্তপাত,
টংকাৰি ধনু উঠে জাত জাত,
জোং যাঠি পাতি হানে নিৰ্ঘাত
মৃত্যুৰ উৎসৱ।
তুল্য মূল্য জয়লাভ কিম্বা পৰাভৱ
* * *
আমি তেনে থকা হ'লে
* * *
নহ'লো জানিবা আৰ্য সভ্য
নহে নাথাকিল বিলাস দ্ৰব্য
নুবুলিলে নাই অপৱে সভ্য
কি দায় আছিল তাত?
থাকিলোহেঁতেন বনে অৱণ্যে
পাহাৰে গুহাই পথাৰে নিজানে

দুর্গম চাঙে চাঙে
বগালোহেঁতেন ওখ টিঙে টিঙে
ফুৰিলোহেঁতেন দিহিঙে দিপাঙে
একো উৰাদিহ নাই
সেই উদণ্ড দৃপ্ত স্বাধীন
আজি থকা হ'লে হায়।
স্বদেশৰ ৰাজনীতিত আমি তেনেই চেপা খাই আছোঁ।

সাহিত্য ক্ষেত্রটো আমি ক্রমাৎ যুদ্ধ কৰিয়েই আজিৰ এই শক্তিৰ অবস্থা পাইছোঁ, আত্মৰক্ষা কৰি এতিয়া এফালৰপৰা এটা গুপ্ত আক্রমণৰ আৰম্ভ হৈছে, ৰাষ্ট্রভাষা বুলি কথিত হিন্দীৰপৰা কোনো কোনো পণ্ডিতজীয়ে হেনো শ্রীমন্ত শংকৰদেৱক হিন্দী লেখক বুলি ক'ব লাগিছে। কেইটামান মৈথিলী আৰু ব্রজাৱলী শব্দ ব্যৱহাৰ কৰাৰ বাবে শংকৰদেৱৰ ভাষা যদি হিন্দীয়েই হৈ যায় তেন্তে সেই ভাষাতত্ত্ববিদলৈ পুতৌ।

কথা সিমানতে ৰোৱা নাই। এখন হেনো শংকৰদেৱৰ জীৱনী লিখিছে— কোনোবা হিন্দী লেখকে, কি লিখিছে— মই শুনিছোঁ শংকৰদেৱৰ এখন ছবিও দিছে, মহাপুৰুষক তাত দুটা ত্রিশূলধাৰী শিৱৰ আকৃতি দিছে। এইবোৰনো সহি থাকিব পৰা কথানে? ধিক্ এই হিন্দী সাম্রাজ্যবাদীসকল। এইবোৰৰ কাৰণে আজিৰ চৰকাৰে মাহে মাহে লাখ লাখ টকা ঢালিব লাগিছে। আপোনাৰ অসমীয়া ভাষাৰ কাৰণে কিমান দিছে? দিয়ক, আমি তাৰে ওপৰতে সুবিধালৈ ভাষাটো শিকি লওঁ। যাতে সেই ভাষাৰেই তেওঁলোকৰ কথাৰ উপযুক্ত প্রত্যুত্তৰ দিব পৰা যায়। ভাষা শিকাত কি দোষ? কিন্তু সেইবুলি অসমীয়া ভাষালৈ আদৰ কম নকৰোঁ।

মাত্র শতকৰা ত্রিশজন শিক্ষিত মানুহৰ ওপৰত নির্ভৰ কৰি সাহিত্যৰ শক্তি বঢ়াই বহিঃশক্তিৰ আক্রমণ ব্যর্থ কৰিবলৈ ওলোৱা টান হ'ব। সেয়ে জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰ কৰাৰ ব্রত ল'ব লাগিব। ছপখন শাখা সভাই একান্তভাবে লাগিলে এই কাম বহুখিনি আগবাঢ়িব, লগে লগে লাইব্রেৰী পাতি সহজ বিষয়ৰ কিতাপ পঢ়াৰ সুবিধা উলিয়াই দিব লাগিব। তাৰ বাবে সাহিত্য সভাৰ ফালৰপৰা সহজবোধ্য পুথি ছপাই নাম মাত্র দামত প্রচাৰ কৰিলে নতুনকৈ পঢ়িবলৈ ধন ন-শিকাকসকলৰ পাঠ স্পৃহা বাঢ়িব। সাহিত্য সভাই বছৰি যিমান ধন ভাঙে তাৰে এটা অংশ এনেদৰে খটালে অসমীয়া সাহিত্যৰ দৈন্য ঘুচিব। দেশত সাহিত্য সংগঠনৰ বাবে প্রথমে শিশু সাহিত্য প্রকাশ কৰা হ'লেই আমি উদয়ৰ পথত আগবাঢ়িবলৈ সুচল হ'ব। শুভ লক্ষণ দেখা দিছে আমাৰ মাজত এখন লেখিকা সংঘ স্থাপিত হৈছে। ইয়াৰ ওৰি কিমান টনকিয়াল ক'ব নোৱাৰোঁ। কিন্তু আশা ৰাখিছো তেওঁলোকে ভাষা-সাহিত্যৰ সেৱাত উল্লেখযোগ্য আগভাগ লয়। ঘৰৰ গৃহস্থসকলে যাতে গৃহলক্ষ্মীসকলক যথোচিত জিৰণি দিয়ে আৰু পুথি পঢ়া লিখা আদি বিষয়ত উৎসাহ দিয়ে তাৰ কাৰণে মই কিমাননো টানি অনুৰোধ কৰিম? পুথি পঢ়া বিষয়ত বেছি শিক্ষিত গৃহিনী নহ'লেও সহজ পুথিৰ চর্চা ভালকৈ হ'ব পাৰে। উচ্চ শিক্ষিতসকলে তেওঁলোকৰ বাহুনিমতে পুথি পঢ়াত একো অসুবিধা দেখা নাযাব। মাত্র তেওঁলোকৰ আগ্রহ থাকিলেই হয়। ধৰক, অলপ কম শিক্ষা পোৱা ন-ছোৱালী হ'লে যে তেওঁলোকৰ ঘৰৰ বান্দীৰ দৰে উধৰপৰা মুধলৈ সকলো কামত লাগি দিব লাগে, তেনে নির্মম ব্যৱস্থা ওচাবলৈ যিমান সোনকালে পৰা যায় সিমানেই মংগল। তদুপৰি কোনো মহিলাই যদি উপযুক্ত কিবা চাকৰি কৰিব খোজে তাতো সম্মতি দিয়াত আপত্তি কৰিব নালাগে। মুঠতে সাহিত্য-সেৱা যে পুৰুষৰে কর্তব্য তেনে নহয়, মহিলাসকলকো সময় আৰু সুবিধা উলিয়াই দিব পাৰিলে তেওঁলোকৰ দ্বাৰাইও বহু কাম সমাধা হ'ব পাৰে। ওচৰ-চুবুৰীয়া বংগদেশত মহিলাৰ সাহিত্যসেৱাই বংগ সাহিত্যৰ বহু উন্নতি সাধন কৰিছে। অসমতো মহিলাৰ সাহিত্য-সেৱা উলাই কৰিবলগা নহয়। ৰবীন্দ্রনাথ ঠাকুৰে 'যথাস্থান' নামৰ কবিতাত কবিতাৰ হতুৱাই কোৱাইছে — (কোন হাতে তুই বিকোটে চাস ওৰে আমাৰ গান কোথাই পাবি প্রাণ। ভাণ্ডাৰেতে লক্ষ্মীবধূ যেথায় আছে কাজে ঘৰে ধায়েছে ছুটী পায়েছে যখন মাজে মাজে বালিচতলে চাপা টানিয়ালয় পাতা গুলিন চেৰা চোৰা শিশুৰ

অত্যাচাৰে কাজল আকা চুলেৰ গন্ধে ভৰা শয্যাপাস্তে চিন্ন বেশে চাচ কি যেতে তৰা। বুকেৰ পৰে নিচ্চ চিয়া স্তব্ধবহে গান লোভে কম্পমান)

মহিলাসকলৰ লিখা পুথি আজি ছপাই প্রকাশ কৰিবৰ বাবে সাহিত্য সভাই এটা আছুতীয়া বিভাগ সৃষ্টি কৰিব লাগে। যদি কেতিয়াবা সভাৰ ফালৰপৰা সেই কাম সহজ নহয় তেন্তে প্রকাশন পৰিষদৰ সহযোগত সেইবিলাক পুথি ছপোৱাৰ কাম হাতত ল'ব লাগে। এনেকৈ শিশু পাঠ্য কিতাপ ছপোৱাৰো ব্যৱস্থা কৰিব পাৰিলে ভাল। এইবিলাক কামৰ বাবে সাহিত্য সভাই ধনৰ উঁৰাল টনকিয়াল কৰিবৰ চেষ্টা কৰিব লাগে। বাহিৰা জাকজমক চমুৰাই পেলোৱাই উচিত।

এই প্রচেষ্টাৰ প্রথমে সহজ ভাষাত লিখা — সুপাঠ্য মহৎলোকৰ জীৱন চৰিত, উপদেশমূলক গল্প আৰু বুৰঞ্জীৰ কাহিনী কিন্তু কাল্পনিক ৰোমান্স-প্রধান গল্প নহয়। বিজ্ঞানৰ মনোৰঞ্জক পৰীক্ষাৰ বৰ্ণনা, সাহসী কামবিলাক সমাধা কৰা বীৰবিলাকৰ কাহিনী, ধৰ্ম প্রচাৰকসকলৰ কাহিনী, মহান উদ্দেশ্যৰ কাৰণে আত্মত্যাগী বীৰসকলৰ কাহিনী, বৈজ্ঞানিক আৱিষ্কাৰসকলৰ সাহস আৰু ধৈর্যৰ গল্পবিলাক, আৰু এনে বিষয়ৰ কথাবিলাক সৰু সৰু সস্তা দৰৰ পুথি লিখি ছপাই বিতৰণ কৰি পিছলৈ আৰু গুৰুত্বপূর্ণ ৰচনাবিলাক একাশ কৰি ক্রমে উচ্চতৰ খাপলৈ আগবঢ়াই নিব পৰা যায়। আগতে ভিন ভিন দেশৰ মহৎ আদর্শপূর্ণ কিতাপ কিছুমানৰ চুটি অনুবাদ প্রকাশ কৰিলে ভৱিষ্যৎ পাঠ্যানুৰাগী পুৰুষ এটাৰ সৃষ্টি কৰাৰ বাট বহুখিনি মুকলি হৈ পৰিব। এই কথা অৱশ্যে অস্বীকাৰ কৰিব নোৱাৰি যে, আমাৰ ফালৰ পৰা কোনো ডাঙৰ স্বাক্ষৰ ৰাখি কিবা বিশেষ কার্যক্রম গ্রহণ নকৰাকৈয়ে দেশত বহু সংখ্যক ল'ৰা-ছোৱালীয়ে স্বাভাৱিক প্রবৃত্তি, চেষ্টা আৰু প্রতিভাৰে জগতৰ চকুত আমাৰ মুখ উজ্বল কৰি আছে, অতীতত আৰু বর্তমানতো। এতিয়া যদি কিবা সুচিন্তিত কাম হাতত লৈ ভৱিষ্যতৰ বাট মুকলি কৰিবলৈ লাগি থকা যায়, তেন্তে আমাৰ এই দৈন্য আৰু থাকিব নোৱাৰে। প্রয়োজন মাত্র আমাৰ চিন্তাশীল কর্মীসকলৰ একান্ত চেষ্টা আৰু ত্যাগ স্বীকাৰ। আমাৰ নিজৰ ভাষাৰ স্বয়ং সম্পূর্ণ শক্তিৰে নানা বিদ্যাৰ আন আন উন্নত দেশৰ কিতাপবোৰ অনুবাদ কৰিব লাগে। জাপানে যেনেকৈ কেইবছৰৰ ভিতৰতে পৃথিৰীৰ এটা লেখতপৰা জাতি গঠন কৰি উঠিছে আমাৰো গতি সেই বাটেৰেই হোৱা উচিত। উন্নত সাহিত্য সৃষ্টি কৰি দেশক প্রেৰণা যোগাবলৈ শান্তিৰ পৰিৱেশ দৰ্কাৰ। চীনৰ নেতা মাও-চে-টুঙে কিন্তু বৰ অশান্তিৰ মাজতো সাহিত্য সৃষ্টি কৰাৰ উদাহৰণ দেখা যায়। কমিউনিষ্ট নেতা মাও-চে-টুঙৰ বিপুল সৈন্য বাহিনী পৰিচালনা কৰি ৰণ অভিযানটো লিখা কবিতা আছে। সাহিত্যৰ জন্মভূমি সাহিত্যিকৰ হিয়াৰ আবেগ-অনুভূতিৰ মাজত। হিয়াৰ ভিতৰত সুখ-দুখৰ যেনে কম্পন, সাহিত্য সৃষ্টিবো তেনেই প্রভাৱ। শতকৰা সত্তৰজন আৰু এশৰ ভিতৰত চল্লিছজন মানুহৰ আয় মাহে একুৰি দুটকা, তেনে এখন দেশত সাহিত্যই কি প্রভাৱ বিস্তাৰ কৰিব। কিছুদিন আগতে এজন অসমীয়া মন্ত্রীয়ে ৰৰপেটাত নাৰিকলীয়া বোম দিছিল যে অসমত Compulsory Free Primary Education Bill প্রবর্তন কৰা হৈছে, এতিয়া আৰু কোনো অভিভাৱকে তেওঁলোকৰ ল'ৰা-ছোৱালী স্কুললৈ নপঠিয়ালে দণ্ড ভৰিব লাগিব। পিছে এই বোমটো ফুটি কেনেকৈ যে এটা ঢোৱা কাউৰী হৈ উৰি গৈ সেইটো ক'ত যে পৰিল কোনেও ক'ব নোৱাৰিলে। তাকেই আমাৰ কথাত কয় বোলে —

"কলোঁ লাওঁ, গজিল পুৱৈ
লাগিল কোৱা ভাতুৰি
কাউৰী বাঁহত কুলিয়ে
কণী পাৰিলে, জগিল চুণ্ডা বাদুলী।"

আমাৰ সকলো কথাই এনে হৈছে। ক'লে হ'ব কি? খাই কাঁৰশলা ডালত উঠিল, কাঠি চেলেকাৰ মৰণ মিলিল।

সেইবোৰ যি হৈছিল তাক আৰু ঘুৰাবৰ বাট দেখা নাযায়। কিন্তু এইটো দেখা যায় যে আগৰ বহু কেইজন সাহিত্যিক (কৃতবিদ্য) চৰকাৰৰ চাকৰিয়াল আছিল আৰু তেওঁলোকে সাংসাৰিক অভাৱ অভিযোগৰ ওপৰত থাকি একাশপতীয়াকৈ লাগি সাহিত্য চর্চা কৰিব পাৰিছিল, আন কিছুমানে সাংসাৰিক অভাৱ-অনাটনৰ মাজত থাকিও কেৱল নিজৰ প্রেৰণাৰ বলত সাহিত্যকে একমাত্র লক্ষ বুলি ধৰি সাহিত্য সৃষ্টি কৰিব পাৰিছিল। অলপ মানুহে সেই ৰস পান কৰিব পাৰিছিল। আজি কিন্তু

আমাৰ পাঠকৰ সংখ্যা বহু বাঢ়িল, মানুহৰ ৰুচিবোধৰ বহু পাৰ্থক্য হ'ল— সেয়ে নতুন প্ৰচেষ্টাৰ প্ৰয়োজন হ'ল। বৰ্তমান সময়ৰ দাবী পূৰ্ণ কৰিবলৈ। ইফালে পুথি প্ৰকাশৰ খৰচ অত্যন্ত বাঢ়িল। প্ৰকাশক যদিও ওলাইছে তথাপি দেখা গৈছে প্ৰকাশকসকলৰ পকীঘৰৰ মহলাৰ ওপৰত মহলা উঠি গৈছে। কিন্তু লেখকৰ ঘৰৰ চাল-বেৰ খহিহে গৈছে। পাঠ্যপুথিৰ দৰে আকাশ পাইছে, দহ টকাৰ কমত এখন পাঠ্যপুথি প্ৰায় নোপোৱাই হৈছে। শিক্ষাৰ মান বঢ়াবলৈ যাওঁতে শিক্ষাৰ দাম-দৰহে বাঢ়ি যাব লাগিছে, প্ৰথম আহিলা পাঠ্যপুথি আৰু কাকতৰ দাম ঊৰ্ধমুখী হৈয়েই আছে। তাতে একোখন কিতাপৰ বেটুপাত সলাই বেলেগ এটা নাম দি বছৰে বছৰে নতুন কিতাপ বুলি চলাই পাঠ্যপুথি প্ৰকাশন বিভাগে নতুন নতুন কৌশলেৰে বাইজক চোহাৰ নতুন কৌশল অধিকাৰ কৰা বুলিও শুনা যায়। আগতে পাঠ্যপুথিৰ ব্যৱসায়েৰে চোৰাং কাণি-ভাঙৰ দৰে টকা গোটোৱা ফন্দী আছিল, এতিয়া নতুন নামত সেইটোকে চৰকাৰে চলাব লাগিছেনেকি? এতিয়া স্কুলৰ পৰীক্ষাবিলাকৰ ওচৰ বা স্কুলীয়ান বছৰ আৰম্ভ হ'ৰ সময় হ'লেও এইটো নিয়ম যেন হৈছে যে পাঠ্যপুথি চৰকাৰৰপৰা ওলাই নাহে আৰু সেইবোৰ কিতাপ বেচা দোকানীয়ে সহজে চৰকাৰৰ ৰৰপেৰাৰ পৰা উলিয়াই আনিব নোৱাৰে আৰু আনিবও পাৰে অলপ অলপ কেইখনমানকৈহে। নগৰৰ সেইটোৱে ছাত্ৰ-ছাত্ৰীক বেছি বিপাঙত নেপেলায়। কিন্তু গাঁও অঞ্চলৰ স্কুলবিলাকলৈ এনেকৈ কিতাপৰ যোগান ধৰাত দোকানীয়ে সদৰলৈ লৰা-ধপৰা কৰাত খৰচান্ত হ'ব লাগে। ফলত কিতাপৰ দৰ, কেৰেলাতকৈ গুটি দীঘল হৈ যায়। অসমত যিমানে কাকতৰ ফল তৈয়াৰ হৈছে সিমানে কাকতৰ দামৰ উন্নতি হৈ গৈছে। অসম তেলৰ দেশ বুলি যিমানে যহোৱা হৈছে সিমানে তেলৰ দাম ঊৰ্ধমুখী হৈ গৈছে। এদিন জৱাহৰলালে গুৱাহাটীৰ বক্তৃতাত কৈছিল তেলৰ দামৰ কালিকাৰ কথা। অসমৰ চেনিৰ কল থকা সত্ত্বেও চেনিৰ হাহাঁকাৰ লাগিয়ে থাকে। ধান-চাউলৰ উৎপাদন প্ৰয়োজনমতে হোৱা সত্ত্বেও আকালৰ জাননী আহিয়েই থাকে। প্ৰাকৃতিক দুৰ্যোগৰ ওপৰত দায় দিয়া হয় যদিও তথাপি ধান-চাউলৰ চোৰাং ৰপ্তানি হৈয়েই থাকে আৰু এতিয়া তাতো সুবিধা কৰি ধান-চাউলৰ অবাধ চলাচলৰ বাবে কেন্দ্ৰীয় চৰকাৰে আইন কৰি দিছে। ইফালে কণ্ট্ৰোলৰ দোকানলৈ চাউল কেতিয়া আহে, কেতিয়া ক'লৈ যায় সাধাৰণ মানুহে গমেই নাপায়। এইখনেই আমাৰ দেশ আৰু আমি ইয়াতেই সাহিত্য সভাৰ ৰৰমেল পাতো। এসময়ত আমাৰ নগণ্য সাহিত্যিকসকলে যিবিলাক বিষয়ৰ কিতাপৰ অভাৱ দেখিছিল, সেইবিলাক বিষয়ৰ কিতাপকে লিখি প্ৰকাশ কৰি সাহিত্য চহকী কৰিবৰ যত্ন কৰিছিল। সাহিত্যৰ বৰ গুৰুত্বপূৰ্ণ পুথি অভিধান আজিকালি পাবলৈ নোহোৱা হৈছে, নতুন সংস্কৰণৰ বাবে যো-জা কৰাতে বৈ আছে। এইটো বৰ দুখ লগা অৱস্থা। এতিয়া দেখা যায় যে কোনো কোনো লেখাৰকে কোনো শব্দ নতুন অৰ্থত ব্যৱহাৰ কৰিছে। এইটো হেনো আধুনিক সাহিত্যৰ এটা বিশেষত্ব।

কিন্তু খ্ৰীষ্টান মিচনেৰীসকলে ধৰ্ম প্ৰচাৰ কৰিবলৈ অসমীয়া ভাষাৰ আশ্ৰয় লৈছিল। আৰু তাৰ কাৰণে অভিধান প্ৰণয়ন কৰি ভাষাৰ নিৰ্ভুল গঢ় দিবৰ চেষ্টা কৰিছিল, তাৰে সুবিধা গ্ৰহণ কৰি হেমকোষ ৰচনা হৈছিল। তেনে বস্তু আজি কোনো কোনো নতুন কবিৰ হাতৰ খেলনা হ'ৰ উপক্ৰম হৈছে। যি কবিতাই সাহিত্যৰ আদিম ধাত্ৰী, সেই কবিতাই আজি কাৰো কাৰো হাতৰ খেলাৰ বস্তু হৈ পৰিবৰ উপক্ৰম হৈছে। সেয়ে যদি হ'বলৈ হয়, তেন্তে অসমীয়া সাহিত্যৰ চৰম দুৰ্দশা হৈছে বুলিব লাগিব। এনে ভাষা ক'তো থকা শুনাও নাই। এই গতিত সাৰ্বজনীন ভাষাৰ সৃষ্টি কেনেকৈ হ'ব। যি ভাষা আৰু সাহিত্য কেৱল লিখকৰ অভিৰুচিমতে বুজিবলগীয়া হয় সেই ভাষা এটা জাতিৰ ভাৱৰ বাহন হ'ব নোৱাৰে। আমাৰ ভাষাত এতিয়া হেমকোষ আৰু চন্দ্ৰকান্ত অভিধান, এই দুখনেই অভিধান, বৰ্তমান কিন্তু সিও দুষ্প্ৰাপ্য হৈ পৰিছে। চন্দ্ৰকান্ত অভিধানৰ প্ৰথম সংস্কৰণ শেষ হৈ গৈছে, দ্বিতীয় সংস্কৰণৰো কিতাপ পাবলৈ নোহোৱা হৈছে। হ'লেও অসমীয়া ভাষাৰ কাম চলাব পৰাকৈ সংস্কৃত অভিধানৰ সহায় ল'ব পাৰি। কিন্তু এইবোৰ একতীয়াকৈ থৈ নিজ মনে পতা অৰ্থ কৰি কবিতা লিখিবলৈ ধৰিলে চলে কেনেকৈ! এইবোৰ বিকৃত চিন্তাৰেই ফল বুজি ক'ব পাৰি। এইবিলাক ব্যাধিৰ উপযুক্ত দৰৰ দিবলৈ আজি বৈদ্যবৰুৱা ডাঙৰীয়া নাই।

এনেকুৱা হোৱাৰ কাৰণ বাৰু কি হ'ব পাৰে! সম্ভৱতঃ সৰুকালত অসমীয়া পঢ়াৰ অভ্যাস কম হয় আমাৰ মাজত, তদুপৰি আমাৰ পুৰণি সাহিত্যৰ পুথিলৈ মন নোযোৱাৰ বাবে। বহুত অসমীয়া ল'ৰাই আমাৰ পূৰ্ব কবিসকলৰ লিখা বুজিবই নোৱাৰে, সম্ভৱ ঘৰৰ ডাঙৰসকলেও সেইকালে মন কৰিব নোখোজে। মই দেখিছোঁ এঠাইত এখন নামত খাপনাত থ'লে কীৰ্তন বা

দশমৰ বদলি এখন Chemistryৰ কিতাপ। সেই ঘৰত এখন ধৰ্মপুথি নথকাতো আচৰিত কথা। এনে অৱস্থাত সৰু কালতে আমাৰ ল'ৰা-ছোৱালীৰ হাতত অন্ততঃ চকুত লগা চিত্ৰবহুল কিতাপ একোখন দিয়াটো প্ৰত্যেক গৃহস্থৰে কৰ্তব্য। আমাৰ মাজত শিশু-সাহিত্যৰ অভাৱেই ইয়াৰ কাৰণ।

এই কাম ঘৰৰ গৃহস্থজনে খেতিয়ক হ'লে কৰিব নোৱাৰে, গৃহিনীয়েও কৰা টান, গতিকে ঘৰৰ ডাঙৰ ল'ৰা-ছোৱালীয়ে কৰিব পাৰে। তাৰ বাবে এওঁলোক অলপ ওখ খাপলৈ পঢ়া হ'ব লাগে। মুঠতে দেশত শিক্ষাৰ প্ৰসাৰ নহ'লে অসমীয়া ভাষা সাহিত্যৰ ভৱিষ্যত অন্ধকাৰ। গতিকে ৰাইজৰ সহযোগ আৰু চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিলে শিক্ষাৰ ক্ষেত্ৰত ধনৰ নাটনি হোৱা বুলি কোৱা কথাটো অন্যায় আৰু শিক্ষা বুলি ধনৰ অপব্যৱহাৰ দেশদ্ৰোহীতাহে। কিন্তু দেখোঁতাসকলে দেখি আছে আৰু চিঞৰি আছে শিক্ষাৰ বাটত দেখা দিয়া কাঁইটৰ হেঙাৰবোৰৰ কথা।

আমাৰ ভাষাত আখৰ জোঁটনি বোলা কথাটোৰ একো লাগ-বান্ধ নাইকিয়া হ'ব লাগিছে। ভাষাৰ ব্যাকৰণ কোমল বয়সীয়া ল'ৰা-ছোৱালীৰ বাবে যেনে সুবোধ্য হ'ব লাগে, তেনে দুৰ্বোধ্য হৈছে।

দন্ত্যবৰ্ণ, তালব্য বৰ্ণ, উষ্ম বৰ্ণ, ষত্ব-বিধি, নত্ব-বিধি ইত্যাদিৰ জ্ঞান অলপ বয়সীয়া ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হ'ব বুলি ভবাটো টান কথা। ইফালে আমাৰ ভাষাত সংস্কৃত উচাচাৰণ কৰা নহয় তেনেস্থলত সংস্কৃত ব্যাকৰণৰ সূত্ৰ প্ৰথমে প্ৰথমে দোহৰা কথা বৰ টান কথা। অৱশ্যে বানানবিলাকত সংস্কৃত বিধান ৰখা বিশেষ টান যেন নালাগে। অসমীয়া শব্দতো এতিয়া ধাতু প্ৰত্যয় আদিৰে বুৎপত্তিগত অৰ্থলৈ চাই পঢ়িবলগা অৱস্থা এতিয়া হোৱা নাই। সংস্কৃত ভাষাৰ শব্দ সাধি বিদ্যাৱন্ত হ'বৰ কথা আছিল। এতিয়া নাই সেইদিন। যি হক, অসমীয়া ব্যাকৰণখনৰ নিয়মাৱলী প্ৰথম শিকাৰ্থীৰ বাবে গ্ৰহণযোগ্য কৰিব নোৱাৰিবনে আমাৰ ওজাসকলে। মাত্ৰ সাহিত্যৰ মুধা-ফুটা বিষয়বিলাক আলচি থাকিলেই আমাৰ কাম নিসিজিব। আমাক বিপক্ষৰ লগত যুঁজ দিবলৈ বহু সৈন্যৰ প্ৰয়োজন, বৰ বৰ মেঘনাদ ধৰ্মলোচন নহ'লেও হ'ব, সামান্য পদাতিক হ'লেই হ'ব। তাৰ মাজতে সময়ে মহাবীৰ ৰথী, মহাৰথীৰ জন্ম দিব।

অভিধান ব্যাকৰণৰ লগে লগে সাধাৰণ ব্যৱহাৰৰ কাৰণে নিত্য নৈমিতিক ব্যৱহাৰৰ কাৰণেও সৰু অভিধানৰ প্ৰয়োজন। আগতে যেনে হেমকোষৰ আগৰ পঢ়া-শলীয়া অভিধান আছিল। চন্দ্ৰকান্ত অভিধানৰ যদিহে নতুন সংস্কৰণ কিবা প্ৰকাৰে ওলায়, তেন্তে দাম যে আকাশ লংঘা হব সন্দেহ নাই। গতিকে স্কুলীয়া ল'ৰা-ছোৱালীয়ে সহজে ঢুকি পোৱা দৰৰ পুথি হ'লেই এই কাম সাহিত্য সভাই নোৱাৰিলেও প্ৰকাশন পৰিষদে নাইবা পাঠ্যপুথি প্ৰকাশন নিগমে মন কৰিলেও কৰিব পাৰে। মাত্ৰ চৰকাৰৰ বাহাদুৰে অলপ হাত জোঁকাৰিব লাগে আৰু কাৰ্যকাৰকসকলৰ সততা আৰু ধৈৰ্যৰ বলত এইবোৰ কামৰ সু-সমাধান আশা কৰিব পাৰি।

আন এটা দিশলৈ তীক্ষ্ণ দৃষ্টিৰ প্ৰয়োজন। আমাৰ অঞ্চলে অঞ্চলে বেলেগ বেলেগ জনসমষ্টিৰ ভিতৰত কিছুমান বেলেগ শব্দৰ ব্যৱহাৰ চলি আছে। সেইবোৰ হয়তো একে শব্দই আছিল। কিন্তু সময়ৰ লগে লগে উচ্চাৰণৰ তাৰতম্যত পৰি চিনিব নোৱৰা হৈছে। এই শব্দবোৰেই বহলভাবে উজনি নামনি হ'বলৈ বুলি দুটা মাতৰ সৃষ্টি কৰিছে। এসময়ত এই দুটাৰ মাজত যথেষ্ট তিক্ততাৰ সৃষ্টি হৈছিল। অৱশ্যে সেইয়ে এতিয়া বহু সাম-কাটি গৈছে। কিন্তু তেওঁ পাতলীয়াভাৱে সেই তলুৱা সোঁতটো বৈ আছে। সেই সোঁত বন্ধ কৰিবলৈ কালৰ হাতত দি আমি নিশ্চিন্ত হৈ থাকিলে ভুল কৰা হ'ব। সময় থাকোঁতে সেই সোণালী মুগাৰ সুতাদাল ৰক্ষা কৰিবলৈ চেষ্টা কৰিলে অসম আইৰ ডিঙিৰ মুকুতাৰ মণিধাৰ জিকমিকাই থাকিব। এই শব্দবোৰ বুটলি ল'ব পাৰে আঞ্চলিক শাখা সভাৰ ভাষা অনুৰাগী সভ্যসকলে। এনেকুৱা কামেই তেওঁলোকে কৰিব লাগে। সম্বৰ্ধনা, শোক-সভা পতা আদি কামত তেওঁলোকৰ শক্তি নিয়োজিত কৰি বিশেষ লাভ নহ'ব যেন লাগে। ভাৱি-চাৰক, সাহিত্য সাধনৰ বস্তু. নীৰৱ সাধনা। ধৈৰ্যৰ কাম। দূৰলক্ষ্য আগত ৰাখি স্থিৰভাৱে আগুৱাই যোৱাহে কাম। অৱশ্যে প্ৰেৰণা যোগোৱাৰ বাবে মাজে মাজে বাহ্যিক আন্দোলনৰো প্ৰয়োজন নোহোৱা নহয়, কিন্তু তাতেই আত্মতুষ্টি লাভ কৰি থাকিব নালাগে।

অসমীয়াখিনিৰ মাজত কিছুমান শব্দ বা উচ্চাৰণৰ কাৰণে শীতল যুদ্ধ চলাই সংহতি নষ্ট নকৰাই উচিত। ইংৰাজী ভাষাত

একেটা শব্দৰে ইংলণ্ড আৰু স্কটলেণ্ডৰ সাহিত্যিকসবিলাকে এনে অবস্থাত অপ্রীতিৰ সৃষ্টি নকৰি বিশাল ইংৰাজী সাহিত্যৰ সৃষ্টি কৰিছে। ইংলণ্ডত লিখে Love (প্রেম)— স্কটিছসকলে লিখে — (Luve)। এনে বহুত শব্দৰ উল্লেখ কৰিব পাৰি। একাধিক আখৰ জোঁটনিয়ে সাহিত্য নষ্ট নকৰে। ভাৰ আৰু ৰচনা কৌশলেৰে সাহিত্য সুন্দৰ কৰে। আখৰ জোঁটনি আৰু উচ্চাৰণ ভংগীৰ কাৰণে এই এমুঠি অসমীয়া মানুহৰ ভিতৰত ৰাগ-বিৰাগৰ সৃষ্টি কৰিবৰ সুযোগ দিলে আমাৰ সাহিত্যৰ কঁকাল পৰিহে এৰিব। এনেয়ে আমাৰ ভাষাত বহুত ইংৰাজী শব্দ খাপ খাই সোমাই আছে। এতিয়া সেইবোৰ উঘালিবলৈ হ'লে সাহিত্যৰ জোৰা সোলোকোৱাহে হ'ব। স্বাধীনতাৰ পিছত কিন্তু ভাৰতীয়সকলৰ এটা কাম ওলাইছে। সেইটো হৈছে বৃটিছ শাসনৰ চিন মাত্রকে মুছি পেলোৱা। যেনে ইংৰাজী ভাষা বৰ্জন কৰা আৰু তাৰ সলনি হিন্দী বা সংস্কৃত শব্দ উদ্ভাৱন কৰা; যেনে মহান ব্যৱহাৰৰ S.D.C. ৰ ঠাইত উপপ্রতি সমাহর্তা, Vanity Bag ৰ ঠাইত ফুটানিকা ডিব্বা ইত্যাদি। এনে হ'বলৈ হ'লে ভাৰতৰ বুৰঞ্জীৰে এফাল মুছি পেলোৱা হ'ল। বহু হিন্দী সাম্রাজ্যবাদীৰ এনে ভাৰ দেখা যায়। এইবোৰ হেঁচাৰ বিৰুদ্ধে এই অলপমান অসমীয়াই যুজ দিব লাগিব আৰু তাৰ বাবে প্রত্যেক শিক্ষিত অসমীয়া ডেকা-গাভৰু সাজু হ'ব লাগিব। উচ্চ শিক্ষাৰ কেন্দ্র কলেজবিলাকক মহাবিদ্যালয় বোলা হৈছে; যদিও সেইবিলাকক বহুতে প্রেম মহাবিদ্যালয় কৰিবৰ চেষ্টা কৰা যেনহে দেখা যায়। বাৰানসীৰ ৰজা মহেন্দ্রপ্রতাপে যথাসর্বস্ব দি প্রেম মহাবিদ্যালয় নাম দি এখন ইঞ্জিনিয়াৰিং শিক্ষালয় কৰি পশ্চিম সীমান্ত গোপনে পাৰ হৈ প্রথম মহাযুদ্ধত জার্মানাক সাহায্য কৰিবলৈ গৈছিল। সেই মহেন্দ্রপ্রতাপ আজি ভাৰতলৈ ঘুৰি আহি সক্রিয় ৰাজনীতিত যোগ দিছে। জার্মানীত গাঁও অঞ্চলৰ পৰা ছোৱালীবোৰ আহি নগৰৰ হোটেল ৰেস্তোঁৰা আদিত খাদ্য পৰিবেশন কৰি জীৱিকা আর্জি খুৱা দেখি মহাবীৰ হিটলাৰে কৈছিল — "আইটিহঁত, তোমালোকে এনেকৈ জীৱন যাপন কৰাতকৈ যোৱা নিজ নিজ ঘৰলৈ, গৈ গৃহস্থী ধর্ম পালন কৰা, ল'ৰা-ছোৱালীৰ মাক হোৱাগৈ, অদূৰ ভৱিষ্যতত আমাৰ জাতীয় আদর্শ বজায় ৰাখিবলৈ ঘোৰ যুদ্ধ কৰিব লাগিব। সিহঁতক কামনাৰ মুখত জাহ দিব লাগিব। তাৰ বাবে সিহঁতক সজাই তোলা। আমাক আত্মত্যাগী বীৰ সন্তান লাগে।" সেই উদ্দেশ্য আগত ৰাখি যাৰ যিমান উপযুক্ত সন্তান সেই অনুসাৰে বৃত্তি দিয়াৰ ব্যৱস্থা কৰিছিল। আজি আমাবো উঠি অহা পুৰুষটোক তেনেকৈ ক'বলগা হৈছে। আমি প্রার্থনা কৰিবলগীয়া হৈছে যে ভগৱান আমাক মানুহ দিয়া। পিণ্ড দিবলৈ নহয়, মহৎ আদর্শত আত্মাহুতি দিবৰ শক্তিৰে শক্তিমান কৰি।

আমি যিসকলে অসম সন্তান বুলি গৌৰৱ কৰোঁ সকলোৱে উন্নতৰ ভাষা-সাহিত্য-সংস্কৃতিৰে ইয়াৰ সীমাত থকা সকলোকে সামৰি ল'বলৈ পাৰিলেহে অসম সাহিত্য সভা নামৰ সার্থকতা আহিব। সকলো মানুহক আমি অস্পৃশ্য বুলি ল'ব নালাগিব। ভাষাৰে এওঁএলাকক আমাৰ আপোন কৰি ল'ব লাগিব। ভাষাৰ ক্ষেত্রত একে ছুৰি নুচুৰি নীতি নাখাটে। তেওঁলোকৰ মাজত অসমীয়া পঢ়াশালি পাতি সাধু প্রকৃতিৰ মৰমীয়াল শিক্ষক নিয়োগ কৰিব পাৰিলে এই কাম সুগম হৈ আহিব। অৱশ্যে বাগিছাবোৰত যথেষ্ট অসমীয়া কর্মচাৰী নিয়োগ কৰা হ'লে তেওঁলোকে নিজ দেশৰ স্বার্থলৈ যথাযিনি চালেহেঁতেন। আগৰ চাহাবসকলৰ আমোলত অসমীয়াৰ বহু পৰিমাণে ঠাই হৈছিল বাগিছাত। কিন্তু এতিয়া পশ্চিমীয়া ৰাজ্যৰ পৰা নতুন সাম্রাজ্যবাদীসকলৰ আধিপত্য হোৱাত দুৰবী-চকীদাৰ পর্যন্ত তেওঁলোকৰ নিজ ৰাজ্যৰ পৰা আমদানি হয়। এই নতুন চাহাবসকলৰ একমাত্র লক্ষ্য হ'ল অসমৰ পৰা সম্পদ লুণ্ঠন কৰা নিজৰ ৰাজ্যখন চহকী কৰা। অৱশ্যে কেইখনমান বাগিচা অসমীয়াৰ হাতত আছে। সেইবোৰে কিমানখিনি স্বজাতিৰ স্বার্থলৈ চায় তাক তেওঁলোকেহে জানে। আগৰ প্রতিষ্ঠাবান চাহ খেতিয়কৰ বাগিছাবাৰৰ বহুত ভাগ বাটোৱাৰা হৈ সৰু একো চমকা হৈ গ'ল, কিছুমান বিক্রী হৈ গ'ল, এনেকৈ দেশৰ লক্ষ্মী উৰি গ'ল। নিয়ক উঠাই দিল্লীৰ বাদচাহসকলে, এই সম্পদে কেইদিন যাব। সাগৰৰ পানী বান্দৰে খাই কি শেষ কৰিব। দিল্লীৰ কে'বাখনো ৰাজপাট ধূলিত পোত গৈছে। ইৰাবো যাব। সেই খকুৰাৰ মুখ মেল খোৱাত থাকিব। সেই বান্দৰে পিঠা ভগোৱা সাধুটোলৈগ মন কৰিবচোন। এটা প্রবচন আছে —

হাজাৰ শগুণে শ খাওক
তেওঁ হাড়ে আৰু ছালে।

দেশৰ আৰ্থিক অৱস্থাই, সাহিত্য আৰু আন আনুসংগিক স্বচ্ছলতাৰ আভাস দিয়ে। যিবিলাক মানুহক সাবটি লৈ আমাৰ জাতীয় শক্তি সংগঠনৰ আশা কৰোঁ, সেই বাগিছাৰ বনুৱাসকলৰ আৰ্থিক দুৱৱস্থাৰ উপৰিও শিক্ষাৰ দৈন্যাবস্থালৈ চাওক। এশজনৰ ভিতৰত চাৰিজনহে আখৰ চিনিবৰ যোগ্য। বাকী সকলো ঘোৰ নিৰক্ষৰ। অকল অসমীয়া আখৰতে নহয় তেওঁলোকৰ নিজ অঞ্চলৰ ভাষাতো। এনে মানুহৰ মাজত উন্নতনমূলক কি কামৰ পাতনি মেলিব পৰা যায়। কিন্তু পূৰ্ববংগৰপৰা অহা মুছলমানসকলে ইতিমধ্যে ভাষা-সাহিত্যৰ ক্ষেত্ৰত বহুত আগবাঢ়ি গৈছে। এই বিষয়ত প্ৰথমেই মনত পৰে সেই পৰম ভক্ত আজান ফকিৰলৈ। তেওঁৰ জিকিৰ গীত অপূৰ্ব বস্তু। অসমত শংকৰ-মাধৱদেৱ আদিয়ে যেনে ভক্তি বিগলিত সুৰ দি ভাষাৰ গীত ৰচনা কৰিছিল, এইজন পুৰুষেও তেনে ভাৱাবেই গীত ৰচনা কৰিছিল। জিকিৰৰ পৰা আল্লা নামটো শুচাই আন নাম বহুৱাই দিলে কোনে নক'ব যে সেই গীত মহাপুৰুষ মাধৱদেৱৰ ৰচনা নহয়! আকাশ বাণীৰ বন্দনা অনুষ্ঠানত "হিয়াৰ মাজে খেলা কৰে, আল্লা নিৰঞ্জন" কথাষাৰ শুনিলে কোন হিন্দুৰ হিয়া গলি নাযাব? আৰু শেষত "সজা পৰি ৰ'ব, মইনাক লই যাব কোনে" এইষাৰ গীত শুনিনো কাৰ হিয়াৰ দুৱাৰ মুকলি হৈ নাযাব? মই ভাবোঁ এই মহাপুৰুষজনে যদি বেছিদিন জীয়াই থাকি এনেকুৱা গীত কিছুমান লিখি থৈ যাব পাৰিলেহেঁতেন, তেন্তে মই হিন্দু তেওঁ মুছলমান বুলি বেলেগ চিন্তা আমাৰ দেশত নাথাকিলহেঁতেন। এনেয়ে সেই মহাত্মাৰ কথা গীত আকাৰে ৰৱপেটা অঞ্চলত শুনিছিলো— 'ছকুৰি ভকতে বহি আল্লাৰ নাম লয় মাদুৰী বনৰে কঠ।' এতিয়া ক'ব খোজো এই নতুন মানুহবিলাকৰ মাজলৈ কিছুমান সু-গায়ক পঠাই যদি জিকিৰ গীত গোৱাৰ ব্যৱস্থা কৰিব পৰা যায় তেন্তে ভাষা-সংস্কৃতিৰ যোগে এই বিপুল জনশক্তিক আমিও অতি সহজে সামৰি ল'ব পাৰো। উদ্যোগী বন্ধুসকলে এই আৱেদনলৈ কাণ দিবনে?

কিন্তু অসমৰ মাটি-জলাবায়ুৰ কি গুণ! ইয়ালৈ যেয়ে আহে সেয়ে ইয়াৰ মোহত মুগ্ধ হৈ আপোন-পাহৰা হয়। এই কাৰণেই পূৰ্বকালত মানুহে ভাবিছিল কামৰূপলৈ মানুহ গ'লে তাক ভেড়া কৰি (মন্ত্ৰ মাৰি) ৰাখে। আগৰ কালত অহা-যোৱাৰ অসুবিধাৰ কাৰণে বাহিৰৰ পৰা অহা মানুহে নিজ নিজ দেশৰ লগত সংযোগ ৰাখিব নোৱাৰি এই দেশকে নিজ মাতৃভূমি জ্ঞান কৰি হাড়ে হিমজুৱে অসমীয়া হৈ গৈছিল। আজি বাহিৰৰ মানুহ আহিলে তেওঁলোকে লগত নিজ নিজ সংসাৰ আৰু সমাজো লগতে লই আহিব পাৰে। সেই কাৰণে সোনকালে নতুন সমাজৰ লগত এক হৈ যোৱাত কিছু পলম হয়। তথাপি লাহে লাহে এই একতাৰ ক্ৰিয়া চলি আছে। কিন্তু ইংৰাজে ৰুই থোৱা বিভিন্নতাৰ বিহগুটি স্বাধীন চৰকাৰে জীয়াই ৰাখি আছে। সেই বিহ গছৰ ঠাল-ঠেঙুলী এতিয়াও বাঢ়িয়েই আছে। ক্ষুদ্ৰ লাভৰ আশাত কৰ্তাসকলৰ এনেকৈয়ে এতিয়া এনে হৈছেগৈ যে এক অখণ্ড অসমীয়াৰ ঠাইত অনুসূচীত, পিচপৰা, আধা পিচপৰা নানা তৰহৰ পিছপৰা আদি কিমান যে খুটুৰা-খুটুৰ অসমীয়া সৃষ্টি হ'ব লাগিছে, তাক দেখাসকলেহে জানে। ইমান বিপদ-বিপত্তিৰ মাজতো ঢেকীয়াল ফুকনৰ পৰা ১২০/২১ বছৰৰ ভিতৰত অসমীয়া সাহিত্যই যি উন্নতি কৰিছে সেইটো বিস্ময়ৰ কথা। ক'বলৈ গ'লে এইটো অসমীয়া সাহিত্যৰ বা প্ৰগতিৰ নতুন যুগ। কবিতা, নাটক, উপন্যাস চুটি গল্প আদিৰ বাহিৰেও আন আন গধুৰ বিষয়ৰ কিতাপ নিতৌ প্ৰকাশ হৈয়েই আছে। কবিতাই ভাৰতৰ আন আন ধনী ভাষাৰ লগত সমানে উধাই সাহিত্য একাডেমীৰ পুৰস্কাৰ পাইছে। কোনো কোনো নীচাস্থিকাগ্ৰস্ত লোকে মোক প্ৰশ্ন সুধিছিল, "অসমীয়া সাহিত্যৰ ভৱিষ্যত আপুনি কেনে দেখে? জ্ঞানপীঠ বঁটা পাবনে?" উত্তৰত কৈছিলোঁ— 'অসম্ভৱ একো নহয়, নোবেল প্ৰাইজ পৰ্যন্ত পাই যাব। লাগে মাত্ৰ সমূহ অসমীয়া ৰাইজৰ সাহিত্যানুৰাগ। সাহিত্যিকে যদি এতিয়াৰ দৰে ছপা পুথিত এন্দুৰ-নিগনি আৰু পইতাচোৱাৰ সাহিত্য সভা পাতিব দিব লগা হয়, তেন্তে অসমীয়া সাহিত্য দিনে দিনে জুৰুলা হৈ যাব কিন্তু অসমীয়াৰ প্ৰাণত এতিয়া নতুন তেজৰ উত্তাপ জাগিছে। যিয়েই নহক, অসমীয়া সাহিত্য আৰু জাতি কেতিয়াও নমৰে, নমৰে, নমৰে। মৰিব নোৱাৰে। অসমীয়াই দেশৰ বাণীৰ স্বৰূপ খতি খুন নোহোৱাকৈ ৰচিব লাগিছে। সেই প্ৰতিমা আপোন গৰিমাত উজ্বল হৈ উঠিবলৈ সৱহ দিন নাই।

মানৱ সমাজত সাহিত্য-কলা এবিধ ৰৱ চোকা অস্ত্ৰ। ইয়াৰ নিপুণ ব্যৱহাৰেদি কেতিয়াবা জাতি ভাঙিব পাৰি আৰু কেতিয়াবা জাতি গঢ়িব পাৰি। ফ্ৰান্সৰ গণ-বিপ্লৱত সাহিত্যই অদ্ভুত কাম কৰিছিল। অসমতো শংকৰী যুগত ই জাতিক নৱ-

বৈষ্ণৱ মতত অভিষিক্ত কৰিছিল। জাতিক সংগঠিত কৰি জীয়াই তুলিছিল। আজিও তাকে কৰিবলগা হৈছে। ইয়াৰ ভিতৰেদি যেন বিৰোধ-বিতৃষ্ণা, হিংসাৰ বীজ বিয়পিব নোৱাৰে তাৰ কাৰণে সকলো সাহিত্যিকে নিজক নিজে সমালোচনা কৰিহে ৰচনাবিলাক ৰাইজৰ হাতত দিব লাগে। বৰ্তমান সময়ত কথা-সাহিত্যই বৰ জনপ্ৰিয় হৈ উঠিছে, কিন্তু কিছুমান গল্পৰ ভিতৰত দেখা যায় এটা সম্প্ৰদায়ৰ ছোৱালীৰ গাত দিয়া হয় নানা বিধ কলংকৰ কালিমা; বিশেষকৈ সেই সম্প্ৰদায়টো লিখকৰ নিজৰ নহয় আৰু সম্ভৱ সেই সম্প্ৰদায়টোৰ সমাজৰ ওপৰত তেওঁৰ সম্যক জ্ঞান নাই। এনে কথা কিবা উদ্দেশ্য প্ৰণোদিতও হ'ব পাৰে, নাইবা ছোৱালীৰ কুৎসা শুনিবলৈ বহুলোকৰ বিশেষ আগ্ৰহো থাকিব পাৰে। তাৰপৰা সেই গল্পবিলাকৰ বিক্ৰী বঢ়াৰত বেছি হয়। এনে প্ৰবৃত্তি সৎ সাহিত্যিকৰ হোৱা অনুচিত। সাহিত্যৰ লক্ষ্য হ'ব লাগে সমাজক প্ৰগতিৰ ফালে আগুৱাই নিয়া। মাত্ৰ ধন ঘটাই নহয়। আমাৰ কৰ্তব্য হ'ক সকলোৰে লগত সম্প্ৰীতি গঢ়ি তোলা, তেনেহ'লেহে আন আন সম্প্ৰদায়ে আমাক আপোন বুলি সাবটি ধৰিব। দেহত জীৱনী শক্তি থাকিলেহে তাত জীণ কৰি সাৰভাগ ল'ব পাৰে। সকলোৰে লগত বিৰোধ ৰাখিলে নিজৰ শক্তিহে হ্ৰাস হয়। উদ্ভিদে শিপাৰে যেনেকৈ মাটিৰ পৰা ৰস টানে পাতেৰেও সূৰ্যৰপৰা শক্তি আহৰণ কৰে। এই ক্ৰিয়াত ব্যাঘাট হ'লে গছ বেছি নি জীৱ নোৱাৰে। এইবোৰ নানা কথালৈ চাই অন্তৰত শক্তি গোটাই দেশ, জাতি আৰু সাহিত্যৰ শক্তি সাধনাই আমাৰ পক্ষে প্ৰকৃষ্ট পন্থা। আমাৰ নাটকৰ ফালটোতো নতুনত্বৰ প্ৰভাৱ পৰিছে। আগৰ Shakespearian ৰপৰা অংকীয়াৰ ঠাই, এতিয়া ইবসেন, ষ্ট্ৰীণ্ডবাৰ্গ আদিৰ অনুকৰণ সংক্ষিপ্ত তিনি অংকীয়া নাটকে ছবিৰ অবাধ প্ৰচলন দেখা যায়। তথাপি তাত অসমীয়া ছবিয়ে ঠাই নোপোৱাই বুলিব লাগে। চৰকাৰৰো এনে আইন যে অইন অসমীয়া ছবিৰ ক্ষেত্ৰত টেক্সৰ কঢ়া ব্যৱস্থা, কিন্তু 'ভাগ্য' নামৰ এখন হিন্দী ছবিৰ অসমীয়া অনুবাদৰ টেক্স বেহাই। এয়ে আমাৰ জনপ্ৰিয় চৰকাৰৰ নমুনা। অসমৰ চিনেমা ষ্টুডিঅ'ৰ অৱস্থা এতিয়াও লেৰেলা হৈয়ে ৰ'ল। এনেকৈয়ে আমাৰ সোণৰ অসম গঢ়া হ'ব লাগিছে। আজিলৈ অসমৰ ছবিৰ ডিৰেক্টৰ এজন নিখুঁত হৈ ওলোৱা নাই। আন ছবিৰ বিষয়ে নগৰীয়া শ্ৰেণীৰ ভিতৰতে বান্ধ খাই থাকিল, সৰ্বসাধাৰণ অসমীয়া সমাজৰ ছবি পোহৰ নাপালে। চুবুৰীয়া বংগদেশৰ 'পথেৰ পাচালি'য়ে বংগীয় চিনেমা জগতত যুগান্তৰ আনিছে। এতিয়া অসমীয়া ছবি একোখন নগৰৰ ভিতৰতে সীমাবদ্ধ। আন ঠাইৰ অভিনেতা আহি গোটি খাব নোৱাৰে খৰচৰ অভাৱত। চিত্ৰকন সম্পূৰ্ণ হোৱা হ'লে অতি হৃদয়গ্ৰাহী ছবি হ'লহেঁতেন, অৱশ্যে উপযুক্ত অভিনেতাৰ হাতত। কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা' নামৰ উপন্যাসখনো অতি সুন্দৰ বস্তু হ'লহেঁতেন। নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়'খনো বন নহৰুৰ ফুল নামেৰে এখন অপূৰ্ব ছবি হ'লহেঁতেন, যদি কোনো অভিজ্ঞ শিল্পীয়ে হাতত ল'লেহেঁতেন, কিন্তু আমাৰ সকলো কথাই এনেকুৱা হৈ যায়। মঞ্চত খ্যাতি লাভ কৰা আৰু কিছুমান নাট আছে— যিবোৰৰ ওপৰত ভাল ছবি হ'ব পাৰে। কিন্তু কোনে ইমান মূলধনৰ কামত হাত দিব। আজিতো আৰু জ্যোতিপ্ৰসাদ আগৰৱালা নাইযে ধাৰ কৰি হ'লেও এনে সাহ কৰিব। প্ৰকৃতিৰ লগত যুঁজিও সেই নতুন শিল্পীয়ে ভঙা অস্থায়ী ষ্টুডিঅ'ত জয়মতী সম্পূৰ্ণ কৰিব পাৰিছিল। মহৎ প্ৰচেষ্টাক উপলুঙা কৰা পাকৈত কিছুমান ডেকাই সেইখন ছবিক জাপিৰ প্ৰদৰ্শনী বুলিছিল। আজি সেই উপলুঙা কৰা কথাৰপৰা সৰু সৰু জাপিয়ে ড্ৰইং ৰুমৰ অলংকাৰ হৈ পৰিছে। বাহিৰৰপৰা অহা অতিথিৰে আদৰৰ উপহাৰ হৈছে। জয়মতী ছবিত সেইদিনৰ অসমৰ চিত্ৰ যেনেকৈ ফুটি উঠিছিল, আজি তেনে এখন ছবিটো হোৱা দেখা নাযায়। সুখৰ বিষয় অসমীয়া ভাষাৰ নতুন বাট উলিৱাওটাসকলৰ পাহৰিব ধৰা নাম আকৌ স্মৃতি পথলৈ আহিব যেন লাগিছে। জোনাকী যুগৰ যিসকল লেখক-লেখিকা আছিল তেওঁলোকৰো ৰচনাৰ সংগ্ৰহ সকলো সাহিত্যানুৰাগীৰ হাতত পৰিবলৈ সৰহদিন নাই যেন লাগিছে। ক'বলৈ মন যায় অসমীয়া ভাষাৰ দ্বিতীয় বিনেইচেন্সৰ যুগ আহিলেই বুলিব পাৰি।

অসমীয়াই যদি ভাৰত ভূমিত জীয়াই থাকিব খোজে যুঁজ কৰিবলৈ জীয়াই থাকিব লাগিব। সেয়ে আজি ক'ব খোজোঁ সকলো অসমীয়াকে বৰ্তমান যুগৰ আহ্বানত সঁহাৰি জনাবলৈ এফেৰি কবিতাৰে—

তুমি আজি লোৱা সাজি
বিচিত্ৰ বাহিনী,

কবি তুমি কণ্ঠ ভৰা আহে বজ্রবাণী
নয়নত দিব্য-দৃষ্টি মৃত সঞ্জীবনী।
অন্তৰত অগ্নি শিখা
ঠাৰতে বিজুলী লিখা,
বিপ্লৱৰ নটৰাজে
তাণ্ডৱৰ ডম্বৰু বজায়
লৱে যদি তোমাৰ তর্জনী।
স্বপ্ন বিলাসৰ বাবে দিন আৰু নাই
সময় তাকৰ।
বিজুলী বাহিনী লাগে
সমগ্র সমৰ
গাথা অগ্নিগড়।

-- ✱ --

ষট্‌চত্বাৰিংশ অধিবেশন

গুৱালকুছি, ১৯৭৯ খ্ৰীঃ

অতুলচন্দ্ৰ বৰুৱা

আদৰণি সমিতিৰ মাননীয় সভাপতি ডাঙৰীয়া, বিশিষ্ট বৰেণ্য অতিথিসকল, সহৃদয় প্ৰতিনিধিবৰ্গ আৰু মোৰ সেৱাৰ খণী বাইজ, আপোনালোকে এই অকিঞ্চনৰ সনম্ৰ প্ৰণাম গ্ৰহণ কৰক। জনতাই জনাৰ্দন, আপোনাসবেই মোৰ ভগবান। আপোনাৰ নামে-গুণে আপুনি তুষ্ট হৈ আপোনালোকে এই অভাজনক অসম সাহিত্য সভাৰ সভাপতিৰ বৰপীৰাখনলৈ আদৰি আনিছে ঃ ই আপোনালোকৰ মহানুভৱতাৰ বাহিৰে আন একো নহয়। যিসকল গুণী-জ্ঞানী পূৰ্বসূৰীয়ে এই পৱিত্ৰ আসন অলংকৃত কৰি গৈছে তেখেতসকলৰ নাম স্মৰণ কৰিলেও ইয়াৰ প্ৰতি শ্ৰীৰামচন্দ্ৰৰ পূত-পাদুকাৰ পৱিত্ৰতা মনলৈ আহে। চিৰ-চেনেহী ভাষা-ননীৰ সেৱাত এই অভাজনো সৃজনী-প্ৰতিভাৰ স্বাক্ষৰবাহী উল্লেখযোগ্য অৱিহণা একো যোগাব পৰা নাই। মই এজন সামান্য সাহিত্য-সেৱীহে। সাহিত্য-সেৱাও কিমানখিনি কৰিছোঁ নাজানো, কিন্তু সাহিত্যিকৰ সেৱা কৰিবলৈ পালে হ'লে সদায় নিজক কৃতাৰ্থ মানি আহিছোঁ। বিগত জীৱনৰ ডেৰকুৰি বছৰৰ অধিক কাল পৰ্যন্ত-ভৈয়ামে সভা-সমিতি-সংঘ-চক্ৰ পাতি সাহিত্যৰ নামত সাহিত্যিকৰ সেৱা কৰি তৃপ্তি লভি আছোঁ। তেনে সাহিত্যানুষ্ঠানবোৰৰ ভালেকিজন কৰ্ণধাৰক বৰ্তমানে অসম সাহিত্য সভাৰো বিশিষ্ট স্থান অলংকৃত কৰা দেখি গৌৰৱত উৎফুল্ল হয়। এই প্ৰসংগত ইংৰাজী কবিতা এটিত পোৱা আবুৰেন এডেম বোলা মানুহজনৰ কাহিনীটো মনত পৰিছে। এদিন মাজ-নিশা সপোনত বেন এডেমে এটা স্বৰ্গীয় দূতক কিবা কিছুমান লিখি থকা দেখি সুধিলে— তুমি সেইবোৰ কি লিখিছা?

— ঈশ্বৰৰ ভক্তসকলৰ নামৰ তালিকা লিখিছোঁ।

— তাত মোৰ নামটো লিখিছা নে?

— নাই লিখা।

— এৱা, তেনেহ'লে মোক ঈশ্বৰৰ ভকত বুলি নধৰা যদি মানুহৰ সেৱক বুলিয়ে লিখি থৱা। দৰাচলতে মানৱ-সেৱাহে মই কৰোঁ, ঈশ্বৰ-সেৱা সিমান নহয়।

সেইদিনা সিমানতে তেওঁ সাৰ পালে। পিছদিনা তেওঁ আকৌ সপোনত সেই একেজন দূতকে দেখিলে। দূতে তেওঁক কাকত এখন দিলে। তাত ঈশ্বৰৰ ভক্তসকলৰ নাম লিখা আছে; আৰু আচৰিত কথা, ভক্তসকলৰ নামৰ তালিকাৰ প্ৰথম নামটোতে লিখা আছে-- আবুৰেন এডেম। মোৰ ক্ষেত্ৰতো বোধকৰোঁ তেনেকুৱাই হৈছে। পিছে, প্ৰথম হ'ব পৰা যোগ্যতা হ'লে মোৰ নাই। সি যি কি নহওক, সভাপতিৰ গুৰু দায়িত্ব অৰ্পণ কৰি আপোনালোকে এই অভাজনৰ প্ৰতি যি স্নেহ আৰু ঔদাৰ্য প্ৰদৰ্শন কৰিলে তাৰ বাবে পুনঃ প্ৰণতি জনোৱাত বাহিৰে এই অকিঞ্চনৰ আইন একো দিবলৈ নাই। কৰুণাময় ভগবান আমাৰ সকলোৰে সহায় হওক, আৱশ্যকীয়তে ইয়াকে প্ৰাৰ্থনা কৰিলোঁ।

সুধীসকল,

কাল-সাগৰত বুৰ যোৱা বিগত বছৰটোৰ ভিতৰত সৱ-ৰ অনেক লোক পৰলোক প্ৰাপ্ত হ'ল। সেইসকলৰ ভিতৰত এসময়ত সভাপতিৰ আসন অলংকৃত কৰি যোৱা ককা নীলমণি ফুকন, বিদুষী কবি নলিনীবালা দেবী আৰু শিক্ষাবিদ গিৰিধৰ শৰ্মাৰ পৱিত্ৰ স্মৃতি আজি পোনেই আমাৰ মনত পৰিছে। তেওঁলোক সকলোৰে প্ৰতি জয় জয়ন্তে আমাৰ অন্তৰৰ ভক্তিভৱা

স্মৃতি-তর্পণ আগবঢ়ালোঁ।

সাহিত্য আৰু সাহিত্যিক শব্দই আওপকীয়াকৈ হ'লেও গভীৰ জ্ঞানৰ ভাণ্ডলৈ টোঁৱায় যেন লাগে। তেনে এটা আশংকাতে এদিনাখন এখ সাহিত্য-চক্ৰৰ নাম আমি সাহিত্য-চক্ৰ নিদি আলোচনা চক্ৰ দিছিলোঁ, আৰু কথাশিল্পী ন্যায়াধীশ হলীৰাম ডেকাই কোৱা মতে আলোচনা-চক্ৰ নামটো অসমীয়াত 'ইমান চালু' হৈ পৰাৰ বাবে আমিয়ে দায়ী। এনে ধৰণৰ কম-বেছি প্ৰায় পাঁচশখন চক্ৰ বা শাখা সভাৰ সমাহাৰত গঢ়ি উঠা একষষ্ঠি বছৰীয়া অসম সাহিত্য সভাৰ ষট-চত্বাৰিংশ অধিবেশন এইবাৰ ঐতিহ্যমণ্ডিত শুৱালকুছি গাঁৱত বহিছে। শুৱালকুছি ঐতিহ্যমণ্ডিত জনবহুল স্থানেই নহয়, এখন পবিত্ৰ তীৰ্থক্ষেত্ৰও। ইয়াৰ শিপিনীসকলৰ বয়ন-শিল্পৰ কাৰুকাৰ্যই এদিন মহানানৰ মহাত্মা গান্ধীকো আকৃষ্ট কৰিছিল। ইয়াৰ স্থান-মাহাত্ম্য অশেষ।

তাহানি স্মৰণাতীত কালৰেপৰা ডিঙালৈ বণিজ কৰা এয়ে সেই সাউদসকলৰ পুণ্য-ভূমি শুৱালকুছি : ব্যৱসায়ী ব্যস্ত জনতাৰ জন্মভূমি, আধুনিক অসমৰ মানচেষ্টাৰ, ঐতিহ্যপূৰ্ণ শুৱালকুছি। লুইতৰ পাৰৰ 'শীতে তৰণি-তাপেন গ্ৰীষ্মে লৌহিত্যবায়ুনা, সুখদোহখিল লোকানাং' সুবৃহৎ শুৱালকুছি গাঁও। শাৰী শাৰী ঘৰ, পোন পোন বাট, শৃংখলা লগাই পৰিকল্পিতভাবে পতা বাশি বাশি তাঁতশাল আদিয়ে যিদৰে ইয়াৰ অৰ্বাচীন সভ্যতাৰ সাক্ষ্য দিয়ে, ওচৰা-ওচৰিকৈ থকা বিৰাট বিৰাট সত্ৰ-নামঘৰবোৰে, বাসন্তবীয়া ব্ৰাহ্মণসকলৰ গণেশ-বিগ্ৰহ মন্দিৰে আৰু শৈৱ-শাক্ত-সৌৰ-বৈষ্ণৱৰ পুণ্যস্মৃতি বিজড়িত সিদ্ধেশ্বৰ দেৱালয় তীৰ্থাদিয়েও সেই একেদৰে এই ঠাইৰ অতীতত গৌৰৱ ঘোষণা কৰিব লাগিছে। আজিকোপতি বৌদ্ধধৰ্মী ভূটীয়াসকল জাৱকালি মাঘৰ দিনত সিদ্ধেশ্বৰ দেৱালয়লৈ তীৰ্থ কৰিবলৈ আহে। সিদ্ধেশ্বৰ দেৱালয় হেনো এসময়ত বৌদ্ধ মন্দিৰ আছিল আৰু কালক্ৰমত ই বিষ্ণুমন্দিৰ আৰু শেষত শৈৱ-শাক্ত মন্দিৰত পৰিণত হয়, আৰু সেই সূত্ৰেদি কোনো কোনো প্ৰত্নতাত্ত্বিকৰ মতে এইটো পুৰণি কামৰূপৰ এটা অতি প্ৰাচীন মন্দিৰ। পূৰ্বৰ মন্দিৰ ভাগি যোৱাত শিৱসিংহ স্বৰ্গদেৱে অষ্টাদশ শতিকাৰ আদি ভাগত ইয়াক পুনৰ্নিৰ্মাণ কৰে।

ভূটীয়া আৰু তিব্বতী বৌদ্ধসকলে হাজোকেই মহামুনিৰ (বুদ্ধৰ) পৰিনিৰ্বাণৰ পবিত্ৰ স্থান কুশীনগৰ বুলি ভাবে আৰু তালৈ তীৰ্থ কৰিবলৈ আহে। বুদ্ধদেৱৰ শেষ শিষ্যজনৰ নাম আছিল সুহার্দ আৰু তেওঁৰ বাসস্থান আছিল সুৱাদ্দুৰি নামে ঠাইত। সুৱাদ্দুৰি হাজোৰ ছমাইল দক্ষিণে, সিদ্ধেশ্বৰ মন্দিৰৰ পদপ্ৰান্তত। সেই হেতুকেই শুৱালকুছিৰ সিদ্ধেশ্বৰ মন্দিৰ, সুৱাদ্দুৰি আদি ঠাই বৌদ্ধধৰ্মীসকলৰ মানত পবিত্ৰ।

আজিও সিদ্ধেশ্বৰ দেৱালয়ত নিতৌ চলি থকা শিৱ দুৰ্গাৰ পূজা- অৰ্চনা, নিৰামিষ ভোগ, জেঠৰ বুদ্ধ পূৰ্ণিমাৰ সময়ত অনুষ্ঠিত হোৱা আইসকলৰ বৰনাম, অশোকাষ্টমীৰ গোসাঁই-স্নান আৰু তীৰ্থযাত্ৰী ভূটীয়াসকলৰ ইয়াৰ বিষ্ণু-বিগ্ৰহত কৰা বুদ্ধ-বন্দনা-এই সকলোবোৰে সাৰ্বজনীন ধৰ্মৰ এক অপূৰ্ব সংহতিৰ সূচনা কৰে। মন কৰিবলগীয়া কথা এই যে এই ঠাইত মহাপুৰুষীয়া, দামোদৰীয়া আৰু শাক্তপন্থী লোকসকলে যুগ যুগ ধৰি মিলাপ্ৰীতিৰে সহাৱস্থান কৰি আহিছে। তাহানি এবাৰ যুধিষ্ঠিৰে ভীমক কৈছিল — আমাৰ আৰু কৌৰৱসকলৰ ভিতৰত পৰস্পৰ বিৰোধ হ'লে আমি পাঁচ, তেওঁলোক এশ : বাহিৰৰ কাৰবাৰ লগত সংঘৰ্ষ হ'লে কিন্তু আমি একেলগে এশ-পাঁচ।

পৰস্পৰ বিৰোধে তু বয়ং পঞ্চ তে চ শতম্।

অন্যৈঃ সহ বিৰোধে তু বয়ং পঞ্চোত্তৰং শতম্।।

শুৱালকুছি বাসিন্দাসকলৰ তেনে 'পঞ্চোত্তৰ-শতম্' ভাব আন নালাগে এই সাহিত্য সভা অধিবেশনতে সন্দেহাতীতভাবে প্ৰতিপন্ন হৈছে।

শুৱালকুছি নামটো আৰু কিম্বদন্তী

শুৱালকুছি নামটোৰ বানান বিভিন্ন আৰু তাৰ লগত জড়িত থকা কিম্বদন্তীও হৰেকৰকমৰ। চৰিত পুথি, বুৰঞ্জী আৰু তাম্ৰ শাসনত শ-স আৰু চ-ছৰ ভেদাভেদ নৰখাকৈ শুৱালকুছি নামটো নানা ধৰণে লিখা পোৱা গৈছে, যেনে— শিয়ালকুছি, সোৱালকুঞ্চি, শুৱালকুছি ইত্যাদি। সেইদৰে ইয়াৰ কিম্বদন্তীয়েও দিয়া অৰ্থও একাধিক; যেনে— (১) মুগা-পলু মেলিবলৈ সোঁৱালু গছ থকা গাঁও (কুছি) আছিল বুলি সোঁৱালুকুছি বা সোঁৱালকুছি; (২) সুবৰ্ণৰ দৰে মুগা-পাত সূতা পোৱা যায় ব'ত সেয়ে সুবৰ্ণকুছি; তাৰপৰাই শুৱালকুছি; (৩) এসময়ত মহাপুৰুষ শংকৰদেৱে হেনো নাৱেৰে আহি এই ঠাইত ৰৈকে শিয়ালৰ

হোৱা শুনিছিল, গতিকে ইয়াৰ নাম হ'ল শিয়ালকুছি বা শুৱালকুছি; (৪) শালৰ বেষ্টনীত বা প্ৰাচীৰৰ ভিতৰত থকা কুঁহিত (কুহি) বা গাঁও এই অৰ্থত শালকুছি, শোৱালকুছি বা শুৱালকুছি; (৫) সুকণ্ঠী গায়কৰ (নীলকণ্ঠ পাঠক ব্ৰাহ্মণৰ) বাসস্থান বুলি শুৱালকুছি; (৬) সুশৃংখল বসতিপূৰ্ণ ঠাঁই বুলি শুৱাল (শুৱনি) কুছি, ইত্যাদি। মুঠতে বানান আৰু কিম্বদন্তীৰ ফালৰ পৰা ই যেন মাজ-পথাৰৰ গছ ঃযিফালৰ পৰা পোনোৱা যায় সেই ফালৰ পৰাই পোন। পুৰাতত্ত্ব-জিজ্ঞাসুসকলৰ ই এখন ভূস্বৰ্গ। বানান আৰু কিম্বদন্তী যিয়ে নাথাকক, শুৱালকুছি গাঁও দূৰ অতীতৰ পৰা আজিলৈকে নিজৰ মহিমাতে নিজে গৌৰৱোজ্জ্বল হৈ জিলিকি আছে— তাত সন্দেহ নাই।

বাসন্তৰীয়া ব্ৰাহ্মণসকল আৰু মনকৰী-দুৰ্গাৰৰী মনসা কাব্য

এইখিনিতে শুৱালকুছিৰ বুৰঞ্জীবিখ্যাত বাসন্তৰীয়া ব্ৰাহ্মণসকল আৰু তেওঁলোকৰ হাতত থকা মনকৰী-দুৰ্গাৰৰী মনসা-কাব্যখন সমস্পৰ্কে এষাৰ কোৱা অযৌক্তিক নহ'ব। দ্বাদশ শতিকাৰ কামৰূপৰ পালবংশী ৰজা ধৰ্মপালে কাণ্যকুব্জৰপৰা ৫টা গোত্ৰৰ ৭২ ঘৰ ব্ৰাহ্মণ আনি কামৰূপত সংস্থাপন কৰিছিল আৰু ব্ৰহ্মোত্তৰ ভূমি দান কৰি কামাখ্যা, উগ্ৰতৰা, পাণ্ডুনাথ আদি দেৱালয়সমূহৰ পূজা-সেৱাৰ দায়িত্ব দিছিল। শিৰসিংহে ৰজাৰ দিনত দিয়া তাম্ৰপত্ৰতো ৰজা ধৰ্মপালৰ এই ভূমি দানৰ কথা 'প্ৰাগদত্ত জীৰ্ণোদ্ধৃত' আৰু 'দদৌ যৎ শ্ৰীধৰ্মপাল' বুলি উল্লেখ আছে।

এই বাসন্তৰীয়া ব্ৰাহ্মণসকলৰ কোনো কোনো বংশধৰে এতিয়াও কামাখ্যাৰ পূজা-সেৱাৰ দায়িত্ব বহন কৰি আছে। মন কৰিবলগীয়া কথা এই যে শুৱালকুছিৰ পূৱ মূৰত থকা গণেশ-বিগ্ৰহ এতিয়া বাসন্তৰীয়া ব্ৰাহ্মণসকলৰ উপাস্য কুল-দেৱতাৰ দৰে হৈ আছে। বাসন্তৰীয়াত বাহিৰেও শুৱালকুছিত আৰু দুই খেলৰ ব্ৰাহ্মণ আছে। তেওঁলোকে মাটিপৰ্বত আৰু আদাৰৈ নামৰ চুবুৰি দুটাত বাস কৰে। এই তিনিওটা ব্ৰাহ্মণ চুবুৰিৰে গোসাঁই-ঘৰ কেইটাৰ মুখ্য বিগ্ৰহ হ'ল গণেশ। সেয়েহে পুৰণি কামৰূপত গণেশ বিগ্ৰহৰ প্ৰাচুৰ্যলৈ লক্ষ্য কৰি কোনো কোনোৱে অনুমান কৰে যে একালত এই ৰাজ্যত গাণপাত্য ধৰ্মৰো প্ৰাদুৰ্ভাৱ আছিল।

শাওণ-ভাদৰ সংক্ৰান্তিৰপৰা শুৱালকুছিৰ গণেশ-মন্দিৰত পাঁচ-দিনীয়াকৈ মনসা পূজা চলে। এই পাঁচ দিনত পাঠক দেউসকলে তেওঁলোকৰ হাতত থকা এই মনকৰী-দুৰ্গাৰৰী মনসা কাব্যখন এক বিশেষ ধৰণৰ কীৰ্তনীয়া সুৰত পাঠ কৰে। ভাদ আৰু আহিনৰ সংক্ৰান্তিৰ দিনাৰপৰা চ'ত শুক্লা দ্বাদশী পৰ্যন্ত কিন্তু এই পুথি পঢ়া নিষেধ। তেতিয়া ইয়াক যত্নেৰে আলফুলকৈ বান্ধি ৰখা নিয়ম।

মনকৰ আৰু দুৰ্গাৰৰ প্ৰাক্‌শংকৰী যুগৰ এই কবি দুজনাৰ বিৰচিত মনসা কাব্যৰ পুৰণি অসমীয়া সাহিত্যৰ এক অনবদ্য সম্পদ। সমস্ত পুথিখন কিন্তু আজিপৰ্যন্ত সম্পূৰ্ণ ৰূপত প্ৰকাশ হোৱা নাই। ১৯৫২ চনত ড° বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ সম্পাদনাত যিখন মনসা-কাব্য প্ৰকাশ হৈছিল সি তাৰ এটা খণ্ডিত দুখৰীয়া ৰূপহে। সাহিত্য সভাৰ এই অধিবেশনৰ লগতে টোতে খৰ মাৰি সম্পূৰ্ণ পুথিখন ছপাৰ পৰা হ'লে সোণত সুৱগা চৰিলহেঁতেন বুলি আমি ভাবো। আশা কৰোঁ অধিবেশনৰ অন্তত অভ্যৰ্থনা সমিতিয়ে সন্মিলনৰ যুগমীয়া স্মৃতি-ৰক্ষাৰ্থে ইয়াৰ প্ৰকাশন হাতত ল'ব।

মনকৰী আৰু দুৰ্গাৰৰী মনসা-কাব্য একালত ওজাপালিয়ে ৰাগ দি সুৰ লগাই গাইছিল। আজিকালি সেই ওজাপালি লোপ পোৱাত পূজাৰী ব্ৰাহ্মণসকলেই কীৰ্তনৰ সুৰত তাৰ পাঠ চলাই আছে। দুৰ্গাৰৰী বং-গোৱা ওজাপালি বৰ্তমানেও মঙলসৈৰ উত্তৰ অঞ্চলত দুই-এজোৱা আছে, কিন্তু দুৰ্গাৰৰী ৰামায়ণ গোৱা ওজাপালি থকাৰ আমি সন্ধেদ পোৱা নাই। দৰঙৰ বিয়াহ-গোৱা ওজাপালিয়ে তাৰ দুই-এটা গীতৰ 'ধুনু' গোৱা শুনিছোঁ।

দ্বাদশ শতিকাৰ পালবংশী ৰজা ধৰ্মপালৰ তাম্ৰশাসনত চৰিশজন তাঁতীৰ (তন্তুবায়ৰ) উল্লেখ আছে। তেওঁলোক এই শুৱালকুছি অঞ্চলৰে লোক আছিল। ফলিত উল্লিখিত শুভংকৰপাটক নামৰ অগ্ৰহাৰৰ গ্ৰহীতা হিমাংগ আৰু ত্ৰিলোচন ভ্ৰাতৃদ্বয়েও এই অঞ্চলতে বাস কৰিছিল। তেওঁলোকেই বাসন্তৰীয়া ব্ৰাহ্মণসকলৰ উপৰি-পুৰুষ। ওণাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জী মতেও 'কামৰূপ জিলাৰ শুৱালকুছিৰ 'বাশৰীওৱা' ব্ৰাহ্মণ নামে খ্যাত থকা ব্ৰাহ্মণসকলৰ ভূমিবৃত্তি এই ধৰ্মপাল ৰজাই দিয়া।'

প্ৰাক্ ঐতিহাসিক যুগৰ সৰ্বভাৰতীয় খ্যাতিসম্পন্ন দুগৱাকী পণ্ডিত ধৰ্মকীৰ্তি আৰু কুমৰিলভট্টও শুৱালকুছিৰ ওচৰৰ হাজো-

মণিকূট অঞ্চলৰে লোক আছিল বুলি জনা যায়। দুয়ো আছিল খুৰাক-ভতিজাক : ধৰ্মকীৰ্তি বৌদ্ধ পণ্ডিত আৰু কুমৰিলভট্ট ব্ৰাহ্মণ্য ধৰ্মৰ পৃষ্ঠপোষক পণ্ডিত।

কথিত আছে যে ত্ৰয়োদশ শতিকাৰ আদি ভাগত শুৱালকুছি অঞ্চলৰ মহেন্দ্ৰ নামৰ ডেকা এজনে গৈ নিজ বাহুবলেৰে গাৰো পৰ্বতৰ নামনিত এখন ৰাজ্য পাতি নাম দিছিল মহেন্দ্ৰগঞ্জ।

সত্ৰ-নামঘৰ আৰু বৈষ্ণৱ ধৰ্ম

শুৱালকুছি অসমৰ ধৰ্মজগতৰ ক্ষুদ্ৰ তাঙ্গৰণ আৰু বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰস্থল। ষোড়শ শতিকাৰ শেষ আৰু সপ্তদশ শতিকাৰ আৰম্ভণিতে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ ৰহেৰমদ সত্ৰৰ পঢ়িয়া মাধৱ আতৈৰ পুত্ৰ মুৰাৰি আতৈ, ধূপগুৰি সত্ৰৰ লক্ষ্মীকান্ত আতৈৰ পুত্ৰ অনন্ত আতৈ আৰু বগৰীবাৰী অঞ্চলৰ কানু ঠাকুৰ আতৈয়ে শুৱালকুছি গাঁৱত পোন-প্ৰথমে অসমৰ বিখ্যাত মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ লয়। সেয়ে ঠন ধৰি উঠি আজি কৰ্মব্যস্ত শুৱালকুছীয়া বাইজৰ মাজত ধৰ্ম আৰু কৰ্মৰ সমন্বয় স্থাপন কৰিছে। সময়ৰ সদ্ব্যৱহাৰ আৰু চলাচলৰ সুবিধাৰ কাৰণে ইয়াত চুবাই চুবাই নামঘৰ উঠিছে। শৰণৰ উপৰি ভজন দিব পৰা একমাত্ৰ কেৱলীয়া সত্ৰ শ্ৰীশ্ৰীহাটী সত্ৰসহ পুৰণি মহাপুৰুষীয়া সত্ৰসমূহ আৰু লগতে থকা শ্যামৰায়, গোপাল সত্ৰ আদি দামোদৰীয়া সত্ৰসৰকে ধৰি ডেৰকুৰিৰো অধিক নামঘৰৰ শান্তিময় বৈষ্ণৱ কীৰ্তনৰ সুমধুৰ ধ্বনিৰে শুৱালকুছিৰ আকাশ-বতাহ মুখৰিত কৰি থাকে। শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ, শ্ৰীশ্ৰীশংকৰদেৱ ধাম আৰু শ্ৰীশ্ৰীদামোদৰদেৱ ধাম এই তিনি বিৰাট ধৰ্মীয় অনুষ্ঠানৰ সৌহাৰ্দপূৰ্ণ অৱস্থিতিয়ে অসমৰ পৱিত্ৰ বৈষ্ণৱ ধৰ্মৰ জয়গীত অহৰহ গাব লাগিছে। উল্লেখযোগ্য যে মহাপুৰুষ শংকৰদেৱৰ জন্মোৎসৱ তিথিও ইয়াতেই পোন পহিলতে পূৰ্ণপয়োভৰে আৰম্ভ কৰা হৈছিল আৰু তেতিয়াৰেপৰা আজি অৰ্ধশতাব্দীৰো অধিক কাল এই উৎসৱ কেৱল অসমতে নহয়, অসমৰ বাহিৰতো ক্ৰমবৰ্ধমান গতিত চলি আছে। শুৱালকুছিৰ পূব অঞ্চলত আছে শাক্ত-শৈৱধৰ্মী ব্ৰাহ্মণসকল, পশ্চিমত মহাপুৰুষীয়া আৰু দামোদৰীয়া বৈষ্ণৱসকল। এই সকলোৰে মিলাপ্ৰীতিৰ গুণতেই হওক বা শিল্পকৰ্মনিৰত ব্যৱসায়ী বৃত্তিয়ালসকলৰ ঐক্য আৰু আত্মনিৰ্ভৰশীলতাৰ কাৰণেই হওক শুৱালকুছি আজি বহিৰাগতৰ দ্বাৰা অধ্যুসিত, শোষিত, বা কলুষিত নোহোৱাকৈ আছে। ই জানো কম গৌৰৱৰ কথা? এয়ে হ'ল শুৱালকুছিৰ অতীত আৰু বৰ্তমানৰ স্থান-মাহাত্ম্যঃ গৌৰৱৰ চমু বুৰঞ্জী!

তিনিকুৰি এক বছৰীয়া সাহিত্য সভাধন— কাম আৰু কৰ্তব্য

সাহিত্য আৰু তাৰ সমস্যাৱলীত মনোনিবেশ কৰাৰ পূৰ্বে সাহিত্য সভাৰ তিনিকুৰি এক বছৰীয়া এৰি অহা দিনবোৰলৈ এবাৰ ঘুৰি চোৱা উচিত হ'ব। ১৯১৭ চনত এঘাৰখন শাখা সভা, দুখন স্বীকৃত সভা আৰু মাত্ৰ দহজন আজীৱন সভ্যেৰে গঠিত অসম সাহিত্য সভা আজি পাঁচশৰ অধিক শাখা সভা, একুৰিৰ অধিক স্বীকৃত সভা আৰু ৮৫০ৰ অধিক আজীৱন সভ্যেৰে ভৰা এটা বিৰাট অনুষ্ঠান। ইয়াত ইতিমধ্যে অনেক অক্ষয় পুঁজি, ন্যাস পুঁজি, স্মাৰক পুঁজি আদি গঠন হ'ল; যোৰহাট আৰু গুৱাহাটীত নিজা কাৰ্যালয় নিৰ্মাণ হ'ল। ইয়াৰ উদ্যোগত 'চন্দ্ৰকান্ত অভিধান' আৰু দুই খণ্ডত বিভক্ত বেজবৰুৱা গ্ৰন্থৱলীকে ধৰি ডেৰশৰো অধিক পুথি ছপা হৈ ওলাল। সাহিত্যৰথী বেজবৰুৱা প্ৰমুখ্যে প্ৰাতঃস্মৰণীয় সভাপতি কেইগৰাকীৰো জন্ম-শতবাৰ্ষিকী উৎসৱ পালন আৰু তাৰ লগতে তেখেতসকলৰ ৰচনাৱলী আৰু স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ উপৰিও সভাই ভাষা-সাহিত্যৰ লগত জড়িত থকা প্ৰত্যাহ্বানবোৰ যথাযথৰূপে গ্ৰহণ কৰি সেইবোৰৰ প্ৰতিকাৰ কৰিবলৈ যত্ন কৰি আহিছে। এনেবোৰ সময়োপযোগী কামে সভাৰ জনপ্ৰিয়তা বৃদ্ধিত সহায় কৰিছে।

সাহিত্য সভা স্থাপিত হোৱাৰ সময়ত অসমীয়া ভাষা আৰু সাহিত্যই নিজক ভালকৈ প্ৰতিষ্ঠা কৰিবৰ কাৰণেই যুঁজিবলগীয়া হৈছিল। বৈষ্ণৱ যুগত যি ভাষাই ব্ৰজাৱলী মিশ্ৰিত অসমীয়া ভাষা অংকীয়া নাটত ব্যৱহাৰ কৰি নিজক সৰ্বভাৰতীয় ৰূপ এটা দিবলৈ প্ৰয়াস কৰিছিল, কালক্ৰমত বৃটিছ শাসনৰ আৰম্ভণিতে দুৰভিসন্ধিকাৰীৰ কুচক্ৰত পৰি সি প্ৰসাৰ লাভ কৰা দূৰৰ কথা নিজৰ প্ৰাণটো বচাবৰ কাৰণেই মৰিপৰি যুঁজিবলগীয়া হৈছিল। ইয়াকে বোলে, 'কালৰো কাল বিপৰীত কাল, (কেতিয়াবা) হৰিণে চেলেকে বাঘৰ গাল'। পিছে এতিয়া অসমীয়া ভাষাৰ সেই দুদিন নাই। অসমীয়া ভাষা 'স্বে-মহিম্নি' প্ৰতিষ্ঠিত হ'ল। ড° বাণীকান্ত কাকতিৰ 'অসমীয়া ভাষা, ইয়াৰ গঠন আৰু বিকাশ' গৱেষণা গ্ৰন্থই অসমীয়া ভাষাক ভাৰতীয় ভাষা-সাহিত্যৰ সংসদত এখন গজগজীয়া নিৰাপদ আসন অধিকাৰ কৰাত সহায় কৰিলে।

আধুনিক যুগ অসমীয়া সাহিত্যৰ বিকাশৰ যুগ, বিস্তাৰৰ যুগ। অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশৰ যি দুটা যুগ্ম সংকল্প লৈ তাহানি ১৮৮৮ চনত অঃ ভাঃ উঃ সাঃ সভা কলিকতাত গঠিত হৈছিল, ১৯১৭ চনত জন্ম লাভ কৰা অসম সাহিত্য সভাটো মূলতঃ সেই একে লক্ষ্যকে সাৰোগত কৰি অগ্রসৰ হৈ আহিছে। তাকে কৰোতে আদিৰে পৰা অসম সাহিত্য সভাৰ স্পষ্ট দৃষ্টিভংগী হৈছে— উত্তৰ-পূৰ ভাৰতৰ এই বিশাল অঞ্চলটোৰ বিভিন্ন ভাষা-উপভাষাৰ গোটসমূহৰ মানুহক একত্র কৰি ৰাখিবলৈ হ'লে অসমীয়া ভাষাক সংযোগী ভাষা হিচাপে ৰখাৰ এটি সুন্দৰ ব্যৱস্থা হ'বই লাগিব আৰু থলুৱা ভাষাসমূহক বিকাশৰ সুযোগ দিয়েই এই কাম কৰিব লাগিব।

পুৰণি পুথিৰ সংগ্রহ আৰু প্রকাশন

সাহিত্য আৰু সংস্কৃতিৰ সমল-সংগ্রহ আৰু সংৰক্ষণ অসম সাহিত্য সভাৰ এটা মুখ্য কাম। এই কাম ইতিপূর্বে কিমানখিনি হ'ল। ক'বলৈ গ'লে পণ্ডিত হেমচন্দ্র গোস্বামীদেৱে অকলেই এই দুৰূহ কামটোৰ যিমানখিনি কৰি গ'ল— আজিলৈকে তাৰ তুলনা নাই। বর্তমান সময়ত তাৰ এটি স্থিতাবস্থা আহিছে। সংগৃহীত পুথি-পাঁজিবোৰৰ সুবিন্যস্ত সংৰক্ষণ আৰু প্রকাশৰ যথাযথ ব্যৱস্থা আজিলৈ হোৱা বুলিব নোৱাৰি। প্রকাশন পৰিষদে দুই-এখন বহা বহা গ্রন্থ বিস্তৰ অর্থ ব্যয় কৰি ছপাই উলিয়াইছে যদিও সি সংখ্যাত তেনেই তাকৰ ঃ এখালী আঙ্গাত এটা জালুক! বহু সময়ত সেইবোৰ সুসম্পাদিত হৈ ওলাইছে বুলিবও নোৱাৰি।

পুৰণি পুথি প্রকাশৰ কাৰণে অসম সাহিত্য সভা, পুৰাতত্ত্ব আৰু বুৰঞ্জী বিভাগ, কামৰূপ অনুসন্ধান সমিতি আৰু অসম প্রকাশন পৰিষদ— এই অনুষ্ঠান চাৰিটাৰ প্রতিনিধিমূলক এখন পৰিচালনা সমিতিৰ তত্ত্বাবধানত প্রকাশন পৰিষদতে এটা সুকীয়া শাখা খুলিলে সি ফলপ্রসূ হ'ব বুলি আমি ভাবোঁ। ইয়াৰ বাবে প্রয়োজনীয় বিত্তীয় অনুদান চৰকাৰে আগবঢ়াব বুলিও আমাৰ আশা।

দুষ্প্রাপ্য সাঁচিপতীয়া পুৰণি পুথি এতিয়াও গাঁৱে-ভূঞে, আটালে-ধোঁৱাচাঙে অলেখ আছে। সাহিত্য সভাৰ শাখা সভাসমূহৰ এই পুথিবোৰ উদ্ধাৰ কৰা এটা প্রাথমিক কর্তব্য। পাঁচশখন শাখা সভাই নিষ্ঠাৰে কাম কৰিলে লুপ্ত হ'বলৈ ধৰা সাহিত্য-সম্পদ বহুত উদ্ধাৰ হ'ব বুলি আমাৰ বিশ্বাস। বিভিন্ন অঞ্চলৰ গঞা বিয়াগীতকে ধৰি পুৰণি গীত-মাত, সাধুকথা, ফকৰা-যোজনা আদি লিপিবদ্ধ কৰি সংগ্রহ কৰা আৰু পুৰণি পুথিবোৰ উদ্ধাৰ কৰাত শাখা সভাবোৰে যি কাম কৰিব পাৰিব— অইন কোনেও নোৱাৰে।

সাহিত্য আৰু অসমীয়া সাহিত্য

ভাৰতত সাহিত্যসৃষ্টি যিমান পুৰণি সাহিত্যৰ শব্দৰ প্রয়োগ কিন্তু সিমান পুৰণি নহয়। আদিতে সাহিত্যৰ ঠাইত কাব্য শব্দৰ ব্যৱহাৰ আছিল। খৃষ্টীয় পঞ্চম শতাব্দীৰ আলংকাৰিক ভামহে কাব্যালংকাৰ গ্রন্থত কাব্যৰ সংজ্ঞা দিওঁতে কৈছিল — 'শব্দার্থৌ সহিতৌ কাব্যম্' অর্থাৎ শব্দ আৰু অর্থৰ সহভাবকে কাব্য বোলে। তেওঁ ক'তো সাহিত্য শব্দ ব্যৱহাৰ কৰা নাই। খৃষ্টীয় দশম শতিকাত ৰাজসেখৰে 'কাব্যমীমাংসা' গ্রন্থত সাহিত্য শব্দৰ ব্যুৎপত্তি আৰু প্রয়োগ সম্পর্কে স্পষ্ট ধাৰণা এটা দাঙি ধৰি কৈছিল যে শব্দ আৰু অর্থৰ সুন্দৰৰূপে য'ত সহভাব ঘটে সেই বিদ্যাকে সাহিত্য বিদ্যা বোলে— 'শব্দার্থয়োর্যথাবৎ সহভাবেন বিদ্যা— সাহিত্য বিদ্যা'। তেতিয়াৰেপৰা সাহিত্যই ক্রমে কাব্যকো তাৰ পৰিসৰৰ ভিতৰত সামৰি ল'লে। সিমানেই নহয়, সি পিছত অলংকাৰ শাস্ত্রকো অন্তর্ভুক্ত কৰি ল'লেঃ সেয়েহে বিশ্বনাথ কবিৰাজে তেওঁৰ ৰচিত অলংকাৰ গ্রন্থৰ নাম দিছে, 'সাহিত্য-দর্পণ'। অসমীয়াতো তেনে অর্থত 'সাহিত্য বিচাৰ', 'সাহিত্য-দর্পন', 'সাহিত্যবিদ্যা পৰিক্রমা' আদি পুথিৰ নামকৰণ হৈছে। আগৰ দিনত কাব্য শব্দই যেনেকৈ নাটক, ৰূপক, শ্রব্যকাব্য, গদ্যকাব্য আদিকো তাৰ ভিতৰত সামৰি লৈছিল, আধুনিক সাহিত্য শব্দই সেই সকলোকে আঁকোৱালি লয় আৰু আনকি, ইংৰাজী 'লিটাৰেছাৰ' শব্দৰ প্রতিশব্দ স্বৰূপে কেতিয়াবা ঔষধৰ বিজ্ঞাপন, কিতাপৰ তালিকা আদিকো আদৰিব খোজে।

সাধাৰণতে মনৰ ভাব, মনৰ কথাই শিল্পসম্মত ৰূপ ল'লেই সাহিত্য হয়। তেনে ভাব এখন মহাভাৰততো লেখা যাব পাৰে, এটা ব্যকা বা আনকি এটা শব্দ বা আখৰেদিও প্রকাশ হ'ব পাৰে। এইখিনিতে এটা ঘটনা মনত পৰিল। কথাটো খোৱতে কৈ থওঁ। তাহানি বিহগী কবি বঘুনাথ চৌধাৰীলৈ তেওঁৰ শৈশৱৰ বন্ধু এজনে এদিন সুদীর্ঘ পঞ্চাশ বছৰৰ মূৰত চিঠি এখন লিখি সুধিলে— 'বঘু, ভালে আছ নে?' চিঠি পাই বুঢ়া চৌধাৰীয়ে ভাবিলে পঞ্চাশ বছৰৰ অন্তত দুটা শব্দৰ এটা ব্যকা পালোঁ; বাৰু,

ময়ো উত্তৰত এটা শব্দহে দিম, এটা শব্দ কিয়—পাৰিলে এটা আখৰ মাত্ৰ! ইয়াকে ভাবি তেওঁ পোষ্টকার্ড এখন কিনি আনি তাত ডাঙৰকৈ ও এটা লিখি তন্ত্ৰত 'ৰঘু' বুলি চহী কৰি পঠালে। ভাষাৰ প্ৰকাশিকা শক্তিৰ ইও এটা নিদৰ্শন।

চিন্তানিষ্ঠ আৰু অভিজ্ঞতাপুষ্ট জ্ঞানৰ লগত শিল্পী-মনৰ মণি-কাঞ্চন সংযোগ হ'লেহে প্ৰকৃত সাহিত্য-সৃষ্টি সম্ভৱ হয়। ইয়াৰ বাবে সাহিত্য-সাধকৰ সংবেদনশীল মনৰ যেনে প্ৰয়োজন তেনেকৈ প্ৰকৃতি আৰু জীৱন সম্পৰ্কে বিস্তৃত আৰু পুংঠ অভিজ্ঞতাৰো সমানে প্ৰয়োজন।

সাহিত্য জীৱনৰে দাপোণ। গতিকে জীৱনক তাৰ বিচিত্ৰ আৰু গভীৰতম ৰূপত নিৰীক্ষণ কৰিব নোৱাৰিলে কোনেও প্ৰকৃত সাহিত্য সৃষ্টি কৰিব নোৱাৰে। অসমৰ প্ৰকৃতিৰ দৰে অসমৰ জনজীৱনো বিচিত্ৰময়। এপিনে নৈ-নলা, গিৰি-গহ্বৰ, পৰ্বত-ভৈয়াম, ডাঠ নীলা হাবি আৰু সেউজীয়া পথাৰৰ অপূৰ্ব সমন্বয়, আনপিনে বিভিন্ন জাতি-উপজাতি-জনজাতিৰ বিচিত্ৰ সমাৱেশে অসমীয়া জীৱন বৰ্ণাঢ্য কৰি তুলিছে। অসমৰ প্ৰকৃতি আৰু অসমীয়া জীৱন বৈচিত্ৰ্যই হ'ব লাগিব অসমীয়া সংহিত্যৰ মূল আধাৰ। উঠি অহা ডেকা সাহিত্যিকসকললৈ মোৰ বিনম্ৰ অনুৰোধ তেওঁলোকে যেন অসমৰ প্ৰকৃতি আৰু অসমীয়া জীৱনৰ এই বৈচিত্ৰ্যৰ ছবিৰে তেওঁলোকৰ সাহিত্যক পাৰস্পৰ্য দান কৰে।

প্ৰত্যেক লেখক একো একোজন সৃষ্টিকৰ। এওঁৰ ওপৰত গধুৰ নৈতিক দায়িত্ব থাকে। পাঠকৰ ৰুচি উন্নত কৰাৰো দায়িত্ব লেখকৰে। সৃষ্টিধৰ্মী লেখাৰ দ্বাৰা পাঠকৰ ৰুচি-পৰিবৰ্তন যি পৰিমাণে সম্ভৱ হ'ব পাৰে, হাজাৰ উপদেশ, হাজাৰ বক্তৃতা, হাজাৰ সমালোচনাৰ দ্বাৰা সিমান নহয়। তাৰ বাবে সৃষ্টিধৰ্মী লেখকৰ মনৰ আকাশতো কিন্তু ধ্ৰুব-তৰাৰ দৰে একোটি উজ্জ্বল আৰু স্পষ্ট আদৰ্শ থাকিব লাগে। সেই আদৰ্শ তেওঁৰ বাস্তৱ জীৱনত অভিজ্ঞতাৰ মাজেদি নিগৰি ওলাই মনৰ মাজত নিপোটল ৰূপ লোৱা শ্ৰেষ্ঠ সাধনা, শ্ৰেষ্ঠ সত্য। এয়ে সাহিত্য-সাধকৰ ধ্যানৰ সত্য, শিৱ, সুন্দৰ।

অসমীয়া মৌখিক সাহিত্য

অন্যান্য সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰো আৰম্ভণি মৌখিক সাহিত্যত। চৰ্যাগীতৰ দিনৰেপৰা ডাক-ভণিতা, সুবচনী, যোজনা-ফকৰা-সাঁথৰ-সাধুকথা, আইনাম, ধাইনাম, গৰখীয়া গীত, টোকৰী গীত, দেহবিচাৰৰ গীত, জিকিৰ-জাৰী আদি নানা প্ৰকাৰৰ গীত-মাত বচন-প্ৰবচনেৰে অসমীয়া সাহিত্য সমৃদ্ধ হৈ আহিছে। বৌদ্ধ দোহাসমূহৰ ধুঁৰলি-কুঁৱলী সান্ধ্য ভাষাতে অসমীয়া গীতি-কবিতা, তথা অসমীয়া ভাষাৰ শুৰি-শিপাডাল থকা বুলি ধৰা হয়। সুখৰ কথা এই যে আদিৰে পৰা অদ্যাবধি সাহিত্যৰ অসমীয়া ভাষা কথিত ভাষাৰপৰা বেছি আঁতৰি যোৱা নাই। বঙলা ভাষাৰ ওপৰত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, বংকিমচন্দ্ৰ চট্টোপাধ্যায় আদি পণ্ডিতসকলৰ যুগত তৎসম সংস্কৃত শব্দৰ প্ৰবাহ যিদৰে বৈ গৈছিল, অসমীয়াত তেনে ধল নাহিল। ফলত অসমীয়া আজিও নানা প্ৰকাৰে পূৰ্বৰ দোহা-যুগৰ ওচৰতে আছে বুলিব পাৰি। অসমীয়া লৌকিক সাহিত্যৰ ভঁৰাললৈ মন কৰিলে তাৰ ভাস্বৰ প্ৰাচুৰ্যৰ চিকমিকনিত লোকগীতৰ 'কি দেখিলোঁ, কি দেখিলোঁ, যাদুৰ উদৰে' বোলা বিস্ময় ভাব মনলৈ আহে।

ডাকৰ বচনকে ধৰি ফকৰা-যোজনা-সাঁতৰ-সাধুকথা, গীত-মাত আদিৰে অসমীয়া সাহিত্য-ক্ষেত্ৰ নদন-বদন হৈ আছে। সেইবোৰ চপাই-কোঁচাই ভঁৰালত থৈ এতিয়াও আমি আমাৰ সাহিত্য-ভঁৰাল মেটমৰা কৰি তুলিব পৰা নাই। এইবোৰৰ ভাষা খাঁটি অসমীয়া ভাষাঃ শ শ বছৰ মুখে মুখে চলি থকা জন-সাহিত্যৰ অসমীয়া ভাষা। ক'বলৈ গ'লে অসমীয়া ভাষাৰ কালিকা এইবোৰতেই লুকাই আছে। এইবোৰতে অসমীয়া ভাষাৰ প্ৰাণ-প্ৰচুৰ্যৰ সন্ধেদ পোৱা যায়।

ডাকৰ বচন

গএগা বাইজৰ কাৰণে আজিও ডাকৰ বচন বেদৰ বাণী। জীৱন-যাত্ৰাৰ সকলো ক্ষেত্ৰতে তাৰ প্ৰভাৱ প্ৰকট। আজিও খেতিৰ পথাৰলৈ গৈ অসমীয়া কৃষকে স্মৰণ কৰে —

১। ঘন ঘনকৈ দিবা আলি;
পৰ্বততো কৰা শালি।

২। আহিন কাতিত বাখিবা পানীক;
যেনেকৈ বাখে বজাই বাণীক।

৩। শাওণৰ কঠীয়া নহয় ধান;
আহিনৰ গোছ বিফল জান। ইত্যাদি

বাৰীখনলৈ গৈ মনত পেলায়—

১। তিনি শ ষাঠি জোপা কৰা কল।
মাহেকে পহেকে চিকুণাবা তল।।
পাত-পচলা লাভত খাবা।
লংকাৰ বণিজ ঘৰতে পাবা

২। একে শাওণে ধান; তিনি শাওণে পাণ।

৩। সাতত পাতল, পাঁচত ঘন;
ছয়ত তামোল নদন-বদন।

৪। গিৰী কৰে পাণে, গিৰী কৰে ধানে,
গিৰী কৰে আনে। ইত্যাদি

বিয়াৰ জোৰা চোৰাৰেপৰা জাতকৰ নাভি-ছেদন, শিশু-পালন, বন্ধন-প্রকৰণ, ভবিষ্যৎ গণনাকে ধৰি চৰণেহে জানে মৰণৰ ঠাইলৈকে গঞা অসমীয়াৰ জীৱনৰ সমস্ত কর্তব্য-অকর্তব্য নিণয় কৰে ডাকৰ বচনে।

যোজনা-ফকৰা-বচন-প্রবচনবোৰ কথাৰ মচলা। মচলাযুক্ত ব্যঞ্জনৰ দৰে এইবোৰৰ যথাযথ ব্যৱহাৰে কোৱা কথা যুক্তিপূর্ণ আৰু ৰঞ্জিত কৰি তোলে। কিছুমান ডাকৰ বচন আকৌ শুনাত সাঁথৰৰ দৰেই লাগে; যেনে,

শীত সৰিয়হ, মীত মাহ;
শৰণত নাকাটিবা বাঁহ।

ইয়াত 'শীত' মানে একাদশী, দ্বাদশী, ত্রয়োদশী আৰু চতুর্দশী তিথিত। 'মীত' মানে আকৌ ৫মী, ৫মী, ৭মী, ৮মী, ৯মী আৰু ১০ মী তিথিত। শৰণত মানে শ্রৱণাৰপৰা ৰেৱতী নক্ষত্রসমূহত; যেনে, শ্রৱণা, ধনিষ্ঠা, শতভিষা, পূর্বভাদ্রপদ, উত্তৰভাদ্রপদ আৰু ৰেৱতী নক্ষত্রত। শ্রৱণা নক্ষত্রৰ আৰম্ভণেপৰা ৰেৱতী নক্ষত্র শেষ নোহোৱালৈকে এই ছয় দিনক শৰণ লগা বোলে। এই ছয় দিনত বাঁহ-বেত কাটিব নাপায়।

দুখৰ বিষয় আজিলৈকে ডাক-ভণিতাৰ পূর্ণাংগ সুসম্পাদিত সংকলন এটা প্রকাশ নহ'ল। সংগৃহীত আৰু প্রকাশিতখিনিৰ বাহিৰেও অনেক ঠাইত ডাকৰ বচনৰ আৰু সাঁচিপতীয়া পুথি থকাৰ গম পোৱা গৈছে। এনে মূল্যৱান পুথি-পাঁজি সংগ্রহত আমাৰ সাহিত্য সভাৰ শাখাবোৰ আৰু অন্যান্য ব্যক্তি আৰু অনুষ্ঠানসমূহো তৎপৰ হ'ব লাগে।

যোজনা-ফকৰা সাঁথৰ-পটন্তৰ

ডাকৰ বচনৰ লগত এইবোৰৰ অঙ্গাঙ্গী সম্বন্ধ : কেতিয়াবা এটাই আনটোৰ ঠাই লয়। 'কথাৰ মুৰত কথা ওলায়' — তাকে আকৌ এইদৰেই কোৱা কোৱা হয় — 'কথাৰ মুৰত কথা ওলায়, ভাত বাঢ়োতে হেতা ওলায়; বা 'কোৱা মুখ, নক'লেও নাপাও সুখ'; অথবা 'ফটা মুখৰ নটা কথা' নাইবা 'মেলত থাকি নামাতে উচিত, পাপে পায় কিঞ্চিৎ কিঞ্চিৎ' নতুবা 'নকলেও নাপাও সুখ, ক'লেও লাগে ভকতৰ দোষ'; ইত্যাদি। পিছে, অসমীয়া ভাষাৰ যোজনা-পটন্তৰবোৰ কিন্তু আজিলৈ ঘাইকৈ গঞা সমাজতে আবদ্ধ আছে। এইবোৰ একত্র কৰি সুবৃহৎ গ্রন্থ এখন প্রস্তুত কৰা যায়। ভাষাক জতুৱা ৰূপ দি জনসাধাৰণৰ ওচৰ-চপা কৰিবলৈ হ'লে এইবোৰৰ যথাযথ ব্যৱহাৰ অপৰিহার্য।

ভকতীয়া বচন কিছুমান আৰু ফকৰাবোৰ আকৌ দেখাত বিসংগতিপূর্ণ কথাৰে ভৰপূৰ; যেনে, ভকতীয়া কথাত 'পুখুৰী-পৰীয়া গোবিন্দ' মানে কুচিয়া; কুকুৰা চৰাইৰ নাম 'ৰাম-পাৰ' ইত্যাদি। ফকৰাবোৰো ভকতীয়া কথাৰ দৰে আওপকীয়া ধৰণৰ, যেনে—

ৰামুণ হৈ নল'লে গাই,
ভকত হৈ নামাৰে ভাই,

সাধু হৈ নাখায় মদ,
আৰা তিনি নাপায় পৰম পদ।

ইয়াত গাই মানে গায়ত্রী; ভাই= মন; মদ = কাম-ক্রোধাদি ৰিপুবোৰ ইত্যাদি।

হাতীয়ে খোৱা ঔৰ দৰে যোজনা-পটন্তৰ কিছুমানৰ উদৰত আকৌ গোটে-গোটে আখ্যান একোটা সোমাই কুমটিয়ে বাহ বন্ধাৰ দৰে বাহ বান্ধি থকা দেখা যায়; উদাহৰণ, যেনে — একে অর্থকে বুজাবলৈ কেতিয়াবা কোৱা হয়—

১। ঔটো পৰি কপৌটো মৰিল, বগে নিৰামুহি খায়; সখিয়তী চৰায়ে ছমাহলৈ বিনালে, সম্বন্ধৰ একোডাল নাই।।

২। ৰহাৰ ৰহদৈ, টিপামৰ ভাদৈ, শৌলগুৰিৰ আঘোণী বাই; তিনিও তিনিৰ ডিঙিত ধৰি কান্দে, সম্বন্ধৰ একোটা নাই।।

তাকে কামৰূপৰ কোনো কোনো ঠাইত এইদৰেও কয়—

৩। ৰামদিয়াৰ ধর্মী, দুবীৰ নীলো, শুৰালকুছিৰ আঘোণী বাই;
তিনিও তিনিৰ গলত ধৰি কান্দে সম্বন্ধৰ কুটাডালো নাই।।

এই তিনিওটা পটন্তৰৰ লগতে একো-একোটা পৃথক কাহিনী জড়িত আছে। ঠিক তেনেকৈয়ে সেই একে অর্থকে বুজাবলৈ মণ্ডলদৈ অঞ্চলত কয়— ৪। আইৰ সম্বন্ধে তাই; ধিতেইৰ মাকৰ সতিনীয়েকৰ মিতিনীয়েকৰ বাই; অর্থাৎ তাই আমাৰ আইৰ ফালেদি তেনেই ওচৰ-সম্বন্ধীয়া; কেনেকৈ? বোলে—আইৰ বান্ধৱী হ'ল ধিতেই, ধিতেইৰ মাকৰ সতিনীয়েক এজনী আছে, সেই সতিনীয়েকৰ মিতিনীয়েক এজনী আছে, তেওঁৰে এওঁ বাইদেৱাক ঃ এয়ে সম্বন্ধ; দেখ দেখকৈ 'দুৰা-মাখিৰ সম্বন্ধ'।

গদ্য-পদ্য-সাঁথৰ-সাধুকথা

মৌখিক সাহিত্য বা লোকসাহিত্যৰূপী এই উৰণীয়া পখীটোৰ পাকি হ'ল দুখন ঃ এখন গদ্যৰ, আনখন পদ্যৰ। পদ্যৰ পাখিত উঠি বিবিধ প্রকাৰৰ গীত-মাত-শ্লোক-যোজনা ফকৰা আদিয়ে বিচিত্র ৰূপ ধাৰণ কৰি ওঁঠ বাগৰি উৰি ফুৰে; আনফালে গদ্যৰ পাখিত উঠি নানা ধৰণৰ আখ্যান-উপাখ্যান, সাধুকথা, উপদেশ-নীতিবচন, শ্লেষোক্তি-ব্যাজোক্তি-প্রাজ্ঞোক্তি আদিয়ে প্রসাৰ লভিবলৈ সুযোগ পায়। সেই ফালৰ পৰা চাই লোক-সাহিত্যক দুভাগত ভগাব পাৰি ঃ

এভাগ সুৰধর্মী, আনভাগ জ্ঞান-ধর্মী। পিছে, সুৰধর্মী গীতেই হওক বা জ্ঞানগর্ভ প্রাজ্ঞোক্তিয়ে হওক দুয়োপ্রকাৰ লোক-সাহিত্যৰে এটা সাধাৰণ গুণ এই যে সি যি প্রকাৰে নহওক আখ্যান-গন্ধী হৈ সমাজত স্থায়ী প্রভাৱ বিস্তাৰ কৰিব খোজে। আখ্যান বা গল্প শুনিবলৈ ওপজা আগ্রহ মানুহৰ আদিম প্রবৃত্তি। সেয়েহে ন-পুৰণি সকলো সাহিত্য নানা আকর্ষণীয় কাহিনীৰে ভৰপুৰ। আন নালাগে হিন্দুৰ ধর্ম আৰু দর্শনৰ এখন মূল গ্রন্থ শ্রীমদ্ভাগৱদগীতাও আৰম্ভ হৈছিল মহাভাৰতৰ এটি সৰু আখ্যানৰ গৰিলা লৈ। মোহাচ্ছন্ন অর্জুনক ৰণৰ মাজত কর্তব্য সোঁৱৰাই দিবলৈ ভগৱান শ্রীকৃষ্ণই গীতাৰ মহাবাণী শুনাবলগীয়া হৈছিল। অমৰশক্তি ৰজাৰ অজমূর্খ পুত্রসকলক বিদ্যাশিক্ষা দিবৰ কাৰণে পণ্ডিত বিষ্ণু শর্মাই মহাভাৰত, ৰামায়ণ আৰু অন্যান্য শাস্ত্রৰ সাৰ সংগ্রহ কৰি পঞ্চতন্ত্র গ্রন্থ ৰচনা কৰিছিল। আনকি বিষালী-বেজালী মন্ত্রতো দুখৰীয়া আখ্যান ঢেৰ পোৱা যায়। ফুলকোঁৱৰ মণিকোঁৱৰ, জনাগাভৰুৰ গীত আদি বেলাড বা মালিতাবোৰতো গীতিময় সাধুকথায়ে।

সাঁথৰ আৰু সাথুকথা জহকালিৰ চোতালত আৰু জাৱকালিৰ জুহাল-কাষত বহা ককাদেউতা বা বুঢ়ী-আইৰ নাতি-নাতিনীসকলৰ লগত পতা মজলিছৰ সমল। যোজনা-ফকৰাত থকাৰ দৰে কিছুমান সাঁথৰতো আখ্যান বা সাধুকথা সোমাই থাকে, যেনে —

'ছয় চন্দা বাৰ আখি, অগ্নিয়ে মেলিলে পাখি;
ভোখনে বোলে ৰাম এই কথা কৈ দিয়া বামুণ,
তেহে গৰু চাৰিবলৈ যাম।'

সংস্কৃতত এনে সাঁথৰ আনকি আশীর্বচনতো ব্যৱহাৰ হৈছিল, যেনে—

'একবর্ণ-সমুদ্ভূতঃ চতুর্বর্গ-ফলপ্রদঃ
অনুলোম-বিলোমাভ্যাং সদেৱঃ পাতু বঃ সদা'।

অর্থাৎ 'নন্দনন্দন' দেৱতাই তোমাক ৰক্ষা কৰক।

মহাভাৰত ৰচনাৰ আৰম্ভণিতে ব্যাসদেৱে গণেশক শ্রুতলিপি দিওঁতে অর্থ বুজিহে লিপিবদ্ধ কৰিবলৈ দিয়া ব্যাসকূটবোৰতে সাঁথৰৰ জন্ম।

ৰচন-প্রৰচন

পুৰোহিত গুৰুসকল আৰু দেশত সিঁচৰতি হৈ থকা সংস্কৃত টোলৰ ছাত্রসকলৰ মুখৰ পৰা শুনা সংস্কৃতৰ অনেক আপ্তৰচন সাধাৰণ মানুহেও আওৰাই পেলাইছিল। তেনেকুৱা ৰচন কিছুমান অবিকৃত সংস্কৃত ৰূপত আৰু অন্য কিছুমান 'এছোৱা কুচিয়া এছোৱা বামি, এছোৱা থাকে পানীত নামি' হৈ আধা-সংস্কৃত, আধা-অসমীয়া ৰূপত এতিয়াও চলি আছে; যেনে— অবিকৃত ৰূপত ঃ— অতিদর্পে হতা লংকা; বহ্বাৰম্ভে লঘু ক্রিয়া; অল্পবিদ্যা ভয়ংকৰী; ন যযৌ ন তস্থৌ; মধুৰেণ সমাপয়েৎ ইত্যাদি। বিকৃত ৰূপত— যেনে, বেতনিত ঔ পৰিল, বাসুদেৱায় নমঃ; নমো নমো পাৰিজাত, কুকুৰে ছুলেহি বাহী গাত; দুৰাৎ চ পর্বতাৰম্যা, ওচৰাৎ তু খলাবমা; সোপায়ং নমঃ; ইত্যাদি।

পুৰণি কবিসকল বাক্যে-বচনে, ভাবে-ভংগীয়ে জনসাধাৰণৰ অন্তৰত এনেকৈ সোমাই আছিল যে কেতিয়াবা জনসাধাৰণৰ মুখৰপৰা যোজনা-ফকৰা কাঢ়ি নি তেওঁলোকে নিজৰ ৰচাৰ মাজত জোন-বিৰিৰ দৰে আঁৰি দি ৰচনাৰ ৰমণীয়তা বঢ়াইছিল; কেতিয়াবা আকৌ কবিসকলৰ ৰচনাৰ চমৎকাৰ বচন দুই-এটাও আহি জনসাধাৰণৰ মুখত আপ্তৰচন হৈ পৰিছিল। কেতিয়াবা একেটা বচনকে কোনে কাৰপৰা লৈছিল, কবিয়ে জনতাৰ পৰা নে জনতাই কবিৰ পৰা, তাৰ আঁতিগুৰি উলিওৱাটোৱে টান হৈ পৰে। তাৰে গোটাচেৰেক উদাহৰণ, যেনে, কবিসকলৰ ৰচনাত প্রৱেশ কৰা প্রৱচন—

(১) হাতী হৈ মাখি হ'লোঁ, গোখোজত তল গ'লোঁ।

'হস্তী শুচি মাখি ভৈলোঁ, গোখোজত তল গৈলোঁ,
কচুতে ভাঙ্গিলো যেন কাচি।।' (হৰিৰৰ বিপ্র; ৰত্নৰাহন পর্ব)।

(২) হস্তীৰো পিচলে পাও, সজ্জনৰো বুৰে নাও।

'হস্তীৰো পিচলে পাও = সুজনৰো বুৰে নাও = তাৰ তুমি জানিবা সবাৰ।।'

(হৰিৰৰ বিপ্র; ৰত্নৰাহন পর্ব)

(৩) খং নামে চণ্ডাল।

'খং নামে চণ্ডালক সহিতে নাপাৰি।
জীৱক শাপিলোঁ মই কিনো মন্দকৰী।।' হঃ বিঃ; ৰত্নৰাহন পঃ

(৪) 'মৌপিয়া চৰায়ে পর্বত লয় তুলি;
ঢোল হেন ডিমা পাৰে চুঙাৰ বাদুলি।'

ঢোল হেন ডিমা পাৰে চুঙাৰ বাদুলি।
পিপিয়া চটকে পর্বত লৰে তুলি।।'
(মাধৱ কন্দলি—সুন্দৰাকাণ্ড, ৰামায়ণ)

(৫) বুঢ়াৰ হাতত চেঙেলী পৰা।

'পিছলা পৰিল যেন বুঢ়াৰ হাতত'
(মাঃ কঃ লঙ্কাকাণ্ড, ৰামায়ণ)

(৬) আপদৰ বুজি ভাও; ছাগৰো পখালিবা পাও।

'আপদৰ বুজি ভাও, ছাগৰো পখালি পাৱ,
আত কিছু নকৰিবা লাজ।'
(শঙ্কৰদেৱ, ৮ম স্কন্ধ ভাগৱত, অমৃত মন্থন)

(৭) সাক্ষাতে কৃষ্ণক দেখোঁ, আৰু কি পাপক লেখোঁ।

'সাক্ষাতেতোমাক দেখোঁ, আৰু কি পাপক

(শঙ্কৰদেৱ ১০ম স্কন্ধ, ভাগৱত)

(৮) আপদ কালত বুদ্ধি হোৱে হত, উগ্রসেনে বুধি নুসুধিলে মাধৱত।

'হোৱে বুদ্ধি ভ্রংশ আসি নাশন কালত।
উগ্রসেনে নুসুধিলা বুদ্ধি মাধৱত।।'

(শঙ্কৰদেৱ, ১১শ স্কন্ধ, ভাগৱত)

(৯) যাক নামাৱা হাতে, তাক মাৰিবা ভাতে।

'তথাপিতো ইটো কাম লাগিল আমাতে।
যাক নামাৰিয়া হাতে তাক মাৰিম ভাতে।'

(শঙ্কৰদেৱ, ৮ম স্কন্ধ, ভা,)

(১০) ৱাম ভাল, ৱাম ভাল— ৱাম নহয় যমকাল।

'সৱে বোলে এনুৱা ৱামক ভাল ভাল।
মইতো জানো মোৰ ৱামেসে যমকাল।।'

(শঙ্কৰদেৱ, উঃ কাণ্ড, ৱামায়ণ)

(১১) ফাট মেলা বসুমতী পাতালে লুকাও।

'আউৰ যে নুশুনো ৱামৰ ইটো নাউ।
ফাট মেলা বসুমতী পাতালে লুকাও।।'

(শঙ্কৰদেৱ, উত্তৱাকাণ্ড ৱামায়ণ)

(১২) কাৰ জ্বৱত কোনে পিয়ে পানী।
কাৰ মোমাই মৱে কাৰ হয় হানি।।

'আনৰ জ্বৱত কোনে আনে পিয়ে পানী।
মোৰসে ভগিনী নেই কাৰ কিবা হানি।।'

(শঙ্কৰদেৱ, কঃ হঃ)

(১৩) বুঢ়াৰ হাতত চেঙেলী পৱা।

'পৱিলা চেঙেলী আজি বুঢ়াৰ হাতত।'

(মাধৱদেৱ, আদিকাণ্ড, ৱামায়ণ)

পুথিৰ বচন মানুহৰ মুখলৈ অহাৰ উদাহৰণ—

(১) আপুনি বয়স হৈলে বুদ্ধি হৈব ভাল। (কীর্তন)

(২) সংসাৰ চক্রৰ নিকাৰ দেখিয়া সদায়ে ধাতু উৱায় (কীর্তন)

(৩) হৰক দেখি বিষ খায় আনে।
আচোক জীৱ মৰি যায় প্রাণে।। (কীর্তন)

(৪) ক্ষীৰ সাগৱত আছিলন্ত শশধৰ
মৎস্যে যেন বোলে ইও এক জলচৰ।। (১১শ স্কন্ধ, ভাগৱত)

(৫) চৌষষ্টি যোগিনী খায় আৰু ভূতগণ।
টিপচী গোটক লাগি নুকুলাব অন্ন।। (ভীম চৰিত) ইত্যাদি

প্রবচনত বুৱঞ্জী

দুই-এটা প্রবচনে আকৌ বুৱঞ্জীৰ কাহিনী একোটাকে গোটে-গোটে গর্ভত সামৰি থৈছে : অলপ পিটিকি চালেই সি ধৱা পৱে; যেনে—

'ৰৰাৰ ঘৰত তৰাৰ গাঁঠি; ৰৰা থাকিব কেইৰাতি।' আহোম ৰজাৰ দিনত পাইক চলোৱা ৰৰা বিষয়াসকলে পাইকৰ কাম চাই ঘুৰি ফুৰোঁতে কোনো এঠাইত ২/৩ নিশাৰ বেছি নাথাকিছিল। গতিকে তেওঁৰ বাবে সজা অস্থায়ী ঘৰৰ গাঁঠি তৰাৰে দিলেও কাম চলিছিল।

মহাভাৰত, ৰামায়ণ আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত গঢ়ি উঠা শব্দ আৰু বচন-প্ৰবচন

ৰামায়ণ আৰু মহাভাৰত এই দুখন মহাকাব্যৰ ঘটনাবোৰেও বচন-প্ৰবচন গঢ়ি তোলাত কম কাম কৰা নাই। ৰামৰাজ্য, ঘৰ-বিভীষণ, লঙ্কাৰ বণিজ, ৰাম নৌ ওপজোতে ৰামায়ণ হোৱা; সেই ৰামো নাই, সেই অযোধ্যাও নাই; আই সীতা পাতাললৈ যাব, কাক নিব, কাক থব; দৰিদ্ৰ লঙ্কালৈ যায়, সাগৰ শুকায়, মাণিক লুকায়; যেয়ে লঙ্কালৈ যায় সেয়ে ৰাৱণ হয়; ৰাৱণৰ চিতাজুই— এনে ধৰণৰ এশ এবুৰি ৰামায়ণী বা ৰামায়ণ-গন্ধী বচন আছে।

সেইদৰে মহাভাৰতৰো আছে, যেনে — ধৰ্মৰজা যুধিষ্ঠিৰ; অশ্বত্থামা হত, কিন্তু ইতি গজ; নামতেসে দুৰ্য্যোধন শকুণিহে ৰজা; আপোন দোষে মৰে চোৰা বিৰাটৰ ভাই, ডাক দিয়া ভীমে বোলে মোৰ দোষ নাই; ইত্যাদি।

একে নিচিনাকৈ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত গঢ়ি উঠা বচন-প্ৰবচন— যেনে, ক বুলিব নাজানে, ৰত্নাৱলী পঢ়ে; গায়নৰ ঘৰৰ বোন্দায়ো ৰাগ দিয়া; আগে চাউল কঠা, পিছতহে হৰি-কথা; মহন্তৰ চিন মাহনিত, বুঢ়া গৰুৰ চিন ঘাঁহনিত; জল-জল পট-পট দৈৱকীৰ গভুৰা ল'ৰা; ইত্যাদি।

সংস্কৃতৰ প্ৰভাৱ আৰু প্ৰয়োজন

মৃত ভাষা হৈও সংস্কৃতে আজি ভাৰতীয় ভাষাসমূহক সঞ্জীৱনী শক্তি দি নল মৰি গজালি হৈ জীয়াই আছে। ইংৰাজী ভাষা সদলবলে আহিল, যতেষ্ট কাল থাকি প্ৰভুত্ব কৰিলে আৰু বিদায় লৈ যাবলৈ ওলাল; তথাপি ই ভাৰতীয় ভাষাবোৰৰ ওপৰত সিমান একো চিনচাব ৰাখি যাব নোৱাৰিলে। ইয়াৰ কাৰণ, বোলে, 'তেজ ধুলে উটে, মণ্ডহ ধুলে নুটে।' সংস্কৃতৰ লগত ভাৰতীয় ভাষাৰ সম্বন্ধ তেজ-মণ্ডহৰ সম্বন্ধ, অস্থি-মজ্জাৰ সম্বন্ধ; ইংৰাজীৰ দৰে মুখৰ সম্বন্ধ, কেৱল মাত-কথাৰ সম্বন্ধ নহয়। সেইদেখি ইংৰাজীৰপৰা মোট সলাই অসমীয়া হৈ ওলোৱা দুই-চাৰিটা প্ৰবচন আজিও আচহুৱা হৈয়ে আছে, যেনে (১) শুই থকা শিয়ালে হাঁহ-কুকুৰা ধৰিব নোৱাৰে; (২) মেকুৰী জোলোঙাৰপৰা ওলাল; (৩) মেকুৰীৰ ডিণ্ডিত টিলিঙা পিন্ধোৱা, (৪) ঘৰিয়ালৰ চকু-লা; ইত্যাদি। এইবোৰ আমাৰ চিনো চিনো লগা বন্ধুৰ দৰেহে, বুকুৰ বান্ধে বা অন্তৰঙ্গ বন্ধু আজিও হোৱা নাই। এনে অৱস্থাতো সংস্কৃত প্ৰশিক্ষণৰ ব্যৱস্থা আমাৰ শিক্ষালয়বোৰৰপৰা উঠি যোৱাটো এটা দুৰ্ভাগ্যৰ কথা।

সাধুকথা

জন্মত লাগিলে সন্ত-সাধুৰ মুখৰ শাস্ত্ৰীয় কথাৰ পৰা অহাই হওক বা সাউদ-বণিকৰ অভিজ্ঞতাভিত্তিক কাল্পনিক কথাৰপৰাই অহা হওক, সাধুকথাবোৰ মৌখিক সাহিত্যৰ কুৰ্ম অৱতাৰ : গীত আৰু কথাৰ সংমিশ্ৰণ।

সেয়েহে চিলনীৰ জীয়েকৰ সাধুৰ—
আগলতী কলাপাত লৰে কি চৰে;
চিলনী আইমোৰ আগতে পৰে;

বিচানমতীৰ সাধুৰ— নাকাট নাকাট ককাই এ, মই তো বিচানমতী; কমলাকুঁৱৰীৰ সাধুৰ —কমলা কুঁৱৰী, মোৰে প্ৰাণেশ্বৰী, পানী বা কিমানে হ'ল; তেজীমলাৰ-হাতো নেমেলিবি, ফুলো নিছিঙিবি, ক'ৰে নাৱৰীয়া তই; চম্পাৱতী সাধুৰ — ঘৰ ঘৰ ঘটা চৰাই, মোৰ ধান নাখাবি, তোক দিম গোটা কৰাই ইত্যাদি বচনবোৰ আজিও সাধুকথা কওতে বুঢ়ী আইৰ মুখত ছন্দবদ্ধ-হৈ ওলাই আহে।

মৌখিক সাহিত্যৰ ভিতৰত সাধুকথাৰে প্ৰসাৰ আৰু সংক্ৰমন ব্যাপক। ক'বলৈ গ'লে ই অলস কল্পনাৰ লীলাভূমি। কওঁতাজনে ইচ্ছামতে সাধুকথা চুটি বা দীঘল কৰিব পাৰে। বিশ্বব্ৰহ্মাণ্ডত নথকা বস্তুৰেও সাধুকথাত ঠাঁই পায়। নজনাটো জানিবৰ কাৰণে বৈজ্ঞানিকৰ যি ঔৎসুক্য, শিশু-মনৰো সেই একে পৰিমাণৰ ঔৎসুক্য। পাৰ্থক্য— শিশুয়ে যিহকে শুনে তাকে বিশ্বাস কৰে, বৈজ্ঞানিকক লাগে যুক্তিনিষ্ঠ প্ৰমাণ। বৈজ্ঞানিকৰ দৰে শিশু মনেও জানিবলৈ বিচাৰে ভূমিকম্প কেনেকৈ হয়, বিজুলী কি বস্তু, পূৰ্ণিমাৰ ভৰা জোনটো শুকাই-বীণাই মৰ-আউসীত নাইকিয়া হয় কিয়— ইত্যাদি। শিশুয়ে আকৌ তাতোকৈ

এখোজ আওৰাই গৈ সোধে — কেকোঁৱাৰ দহখন ঠেং কিয় হ'ল? কুকুৰৰ শিং নাই কিয়? ভালুকৰ জ্বৰ উঠে কিয়? কেটেলা পহু আৰু মদাৰ গছত কাঁইট লগালে কোনে? বাৱণে কোনখন মুখেৰে ভাত খাইছিল? ইত্যাদি এশ এটা প্রশ্ন। এনেবোৰ প্রশ্নৰ উত্তৰ আবিষ্কাৰ জন-জাতীয় সাধুবোৰৰ এটা বিশেষ লক্ষণ।ভৈয়ামৰ সাধুত তাতোকৈ অধিককৈ পোৱা যায় ভাই-ককাইৰ কাজিয়া, মাহীমাকৰ হিংসা-কুচুটি, সতিনীৰ প্রতিদ্বন্দ্বিতা, টেটোনৰ বুদ্ধি, ইত্যাদিৰ কথা।

মুখে মুখে চলি থকা এই সাধুকথাবোৰৰ বেছিভাগেই এতিয়াও সংগৃহীত আৰু লিপিবদ্ধ হোৱা নাই। সাহিত্য সভাই জনজাতীয় সাধু সংগ্রহ কৰি প্রকাশ কৰাৰ এটা প্রশংসনীয় আঁচনি লৈছে। তাৰ বাকী থকা কামফেৰা সম্পূর্ণ কৰা দৰকাৰ। সাধুকথাবোৰত আঞ্চলিক ভাষাৰ শব্দ আৰু প্রকাশভংগী অবিকৃতভাৱে ৰখা উচিত।

লোকগীত

পুৰণি অসমীয়া লোক-সাহিত্য লোকগীতৰ ফালেদি বাৰুকৈয়ে চহকী। এই লোকগীতবোৰত কৰুণ ৰসেই আধিপত্য বিস্তাৰ কৰি থকা দেখা যায়; তাৰ একমাত্র ব্যতিক্রম, বন-ঘোষা বা বিহুগীত।

আধুনিক পাশ্চাত্য সভ্যতা বিস্তাৰৰ লগে লগে গাঁও-ভূঁইত চলি থকা পুৰণি সাধুকথা, পুৰণি গীত-মাত ক্রমে ক্রমে লোপ পাই আহিব ধৰিছে। দেশ স্বাধীন হোৱাৰ পিছত আকাশবাণীৰ যোগেদি আৰু ৰঙালী বিহু আদি উৎসৱৰ বিবিধ অনুষ্ঠানৰ সহায়ত মৃতকল্প অসমীয়া নৃত্য-গীতে নতুন জীৱনৰ সঁহাৰি পাইছে। গোৱালপাৰা জিলা, উত্তৰ কামৰূপ, মঙলদৈ আৰু উত্তৰ উত্তৰ লক্ষীমপুৰ অঞ্চলত আজিও কিন্তু অনেক পুৰণি গীত-মাতে মৃত্যুমুখী হৈ বিলুপ্তিৰ বাবে দি গণি আছে; তাৰে কিছুমান যেনে, চৈতালী গীত, নাঙেলী গীত, চিয়া গীত, ঝুনা, জাগৰ, মালচী, চেৰা-ঢেক, হাতী মাউতৰ গীত ইত্যাদি। এইবোৰৰ গায়ক মৰি-হাজি অন্ত হৈ আহিব লাগিছে। গায়ক-সৃষ্টি সম্ভৱ নহ'লে ৰাগ আৰু সুৰবোৰকে স্থায়ীভাৱে বাণীবদ্ধ কৰি ৰখাৰ ব্যৱস্থা কৰা যায়। জাতীয় চৰকাৰৰ সাংস্কৃতিক বিভাগে এই কাম হাতত ল'ব বুলি আশা কৰা হ'ল।

জামুগুৰিৰ 'বাৰে চহৰীয়া ভাওনা', উত্তৰ লক্ষীমপুৰৰ 'সোৱণশিৰি সেৱা সমিতি', নগাঁও হাতীচোঙৰ — 'কুঁজীডাঁহ শঙ্কৰী কলা কেন্দ্র', মঙলদৈৰ 'দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘ' আদিৰ দৰে কিছুমান অনুষ্ঠান আঞ্চলিক ভিত্তিত স্বকীয় বৈশিষ্ট্যৰে গঢ়ি উঠিলে সেই সেই অঞ্চলৰ গঞা কলা-কৃষ্টিবোৰে জীপ পাব। জিলা সাহিত্য পৰিষদৰ এইটোও এটা কৰণীয় কামৰ বিবেচ্য বিষয়।

বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যৰ সুবিন্যাস্ত সম্পাদনা

সময় আহিলে জীৱনত আপোনা-আপুনিয়ে যৌৱন জাগে, প্রকৃতি ফলে-পুলে-ৰূপে-ৰসে সমুজ্জ্বল হৈ পৰে; শুকান নৈত বান-বাৰিষাৰ ধল নামে। সেই ধলে তেতিয়া বাধা-প্রতিবন্ধক একো নামানি নদীৰ দুয়ো কূলে ঢোৱাই নিয়ে; মাটিত পলস পৰে, খেতি নদন-বদন হয়। ধর্ম প্রচাৰকে উপলক্ষ্য কৰি অসমীয়া সাহিত্যতো বৈষ্ণৱ যুগত সৃষ্টিৰ তেনে ধল নামিচিল। কৃষিৰ দৰে সাহিত্য সৃষ্টিৰ বাবেও তেনে ধল অতি প্রয়োজনীয়।

বৈষ্ণৱ যুগ অসমৰ সাহিত্য-সংস্কৃতিৰ বুৰঞ্জীৰ এটি সোণালীঅধ্যায়। মহাপুৰুষ শঙ্কৰদেৱ আছিল এই যুগৰ সাহিত্য-সংস্কৃতি-ধর্ম-সমাজসংগঠন সকলোৰে মূল শক্তি-কেন্দ্র। ছৰ্দাৰ পনিক্কৰৰ মতে এই মহাপুৰুষজনাই অসমক সর্বভাৰতীয় সংস্কৃতিৰ সুঁতিটোৰ লগত সংলগ্ন কৰি তাক নতুন ৰূপত গঢ় দিলে। নতুবা এইদৰেও কোৱা যায় যে তেৱেঁ অসমীয়া সাহিত্য-সংস্কৃতি-সভ্যতাৰ উজ্জ্বল দিশটোৰ প্রতি সর্বভাৰতীয় দৃষ্টি আকর্ষণ কৰিলে। মুঠতে ভাস্কৰ-বর্মাৰ পিছত শঙ্কৰদেৱেই আছিল দ্বিতীয় ব্যক্তি যিজনাই সর্বভাৰতীয় ধর্ম-সাহিত্য-দর্শন-সংস্কৃতিৰ লগত কামৰূপ তথা অসমৰ ধর্ম-সাহিত্য দর্শন-সংস্কৃতিৰ সমন্বয় ঘটাইছিল।

বৈষ্ণৱ যুগৰ গৌৰবোজ্জ্বল অসমীয়া সাহিত্য-ৰত্নৰাজিৰ ইতিমধ্যে বহুখিনি উদ্ধাৰ হ'ল। আলোচনা-বিলোচনাও কিছু হৈছে আৰু হ'ব লাগিছে; কিন্তু এতিয়াও এটা বিষয়ত সিবোৰে যথাযোগ্য সমাদৰ লাভ কৰা নাই; এতিয়াও সেইবোৰৰ সুশৃংখল আৰু সুবিন্যস্ত সংকলন আৰু সম্পাদনা বৈজ্ঞানিক পদ্ধতিত হোৱা নাই। আন নালাগে শুদ্ধ দুজনীৰ কীর্তন-দশম-নামঘোষা-ৰত্নাৱলী— এই চাৰিখন মূল পুথিৰে বৈজ্ঞানিক প্রণালীৰ সটীক শুদ্ধ সংস্কৰণ আজিলৈকে প্রকাশ হোৱা নাই। আজিৰ যুগত আমাৰ কাৰণে ই এটা অগৌৰৱৰ কথা। সাহিত্য সভাৰ ফালৰপৰা এইবোৰ কাম হাতত লোৱা উচিত হ'ব।

এনেবোৰ পুথিৰ বৈজ্ঞানিক পদ্ধতিৰে পাঠ-সমীক্ষাৰ আধাৰত কৰা সম্পাদনা বিশ্ববিদ্যালয়ৰ উচ্চতম ডিগ্রীৰ বাবে কৰা গৱেষণাৰো বিষয়-বস্তু হ'ব পাৰে বুলি আমি ভাবোঁ। তাকে কৰিলে তাহানি ড° বাণীকান্ত কাকতিয়ে কৰাৰ দৰে একে পৰিশ্রমতে দুটা উদ্দেশ্য সাধন হ'ব, গৱেষণাৰো, অসমীয়া ভাষা-সাহিত্যৰো।

গৱেষণাৰ মাধ্যম অসমীয়া ভাষা

ডিব্রুগড় বিশ্ববিদ্যালয়ে অসমীয়া ভাষাক ডক্টৰেট ডিগ্রীৰ গৱেষণাৰ মাধ্যমৰূপে স্বীকৃতি দিছে। ভাৰতৰ অনেক বিশ্ববিদ্যালয়তে আঞ্চলিক ভাষা-সংস্কৃতি-সাহিত্য সম্পৰ্কীয় গৱেষণা-গ্রন্থ আঞ্চলিক ভাষাতে লিখিব পৰা বিকল্প ব্যৱস্থা আছে। তাৰ ফলত গৱেষক পণ্ডিতসকলে নিজ নিজ মাতৃ ভাষাতে তেওঁলোকৰ গৱেষণা গ্রন্থ প্রণয়ন কৰে আৰু গৱেষণাৰ লগে লগে মাতৃ-ভাষালৈও অবিহণা আগবঢ়াবলৈ সুযোগ পায়। গুৱাহাটী বিশ্ববিদ্যালয়ে আজিকোপতি মাতৃ-ভাষাত গৱেষণা গ্রন্থ বচনাৰ সুবিধা দিয়া নাই। আমি আশা কৰোঁ গুৱাহাটী বিশ্ববিদ্যালয়ে এই বিষয়ে তৎপৰ হৈ ইংৰাজীৰ লগতে অসমীয়া ভাষাকো গৱেষণাৰ বিকল্প মাধ্যম হিচাপে স্বীকৃতি দিব। তদুপৰি আমি পৰামর্শ আগবঢ়াব খোজোঁ ইতিমধ্যে যিকেইখন অসমীয়া সাহিত্য-সংস্কৃতি সম্পৰ্কীয় বিষয়ৰ গ্রন্থ অনুমোদিত হৈছে, অচিৰতে সেইবোৰৰ অসমীয়া অনুবাদ কৰাবলৈ বিশ্ববিদ্যালয়ে হাতত ল'ব লাগে।

অসমীয়া সাহিত্য, জনজাতি আৰু সাম্প্রতিক অসমীয়া সাহিত্য

সাহিত্যৰ বুৰঞ্জীৰ ফালৰপৰা চালে দেখা যায় যে চর্যাপদতে শিপাই লোৱা অসমীয়া ভাষা-সাহিত্যৰ গছজুপি শঙ্কৰী যুগত 'ফল-ফুল ধৰি জকমক কৰি' জাতিষ্কাৰ হৈ উঠিছিল। তাৰ পিছত উপর্যুপৰি হোৱা মান-মৰাণৰ সংঘর্ষই দেশখন উপান্ত কৰিলে। তাৰ প্রলয়ংকৰ প্রতিক্রিয়া অসমীয়া ভাষা-সংস্কৃতি-সাহিত্যৰ ওপৰতো নপৰাকৈ নাছিল। ইংৰাজৰ আমোলত দেশখনে মানৰ হাতৰপৰা পৰিত্রাণ লবি নতুন নতুন পথেদি সাহিত্যৰ অভিযান চলোৱাৰ উমঘাম কৰিছিল মাত্র, এনেতে বঙলা ভাষা প্রসাৰৰ কুট অভিযানে তাত বাট আগচি ধৰিলে। ফলত ঊনবিংশ শতিকা অসমীয়া ভাষা-সাহিত্যৰ আত্মৰক্ষা সমৰতে অতিবাহিত হ'ল। সেই ভাষা-যুদ্ধৰ প্রতিক্রিয়া ভূমিকম্পৰ পাছৰ কঁপনিৰ দৰে বিংশ শতিকাতো মাজে মাজে অনুভূত হৈছে।

মনত বল আৰু দৃঢ় সংকল্প নাথাকিলে কোনো মহৎ কাম সতকাই কৰি তুলিব নোৱাৰি। অসমীয়া সাহিত্য ক্ষেত্রত ইংৰাজ শাসনৰ আৰম্ভণিৰ অৱস্থাটোৰ কথা মনত পেলালেই সেই কথাৰ স্পষ্ট প্রমাণ পোৱা যায়।

তাহানি কলিকতা প্রবাসী এমুঠি অসমীয়া ছাত্রই নিষ্ঠাৰে প্রতিজ্ঞাবদ্ধ হৈ 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' পাতি কোনোৱে কবিতা-হয়-যদি হওক, নহয়-যদি-নহওক, তথাপি চেষ্টা কৰিম বুলি লিখিবলৈ লৈ, কোনেৱে কর্ম-জীৱনৰ অভিজ্ঞতাকে উপন্যাসত ৰূপায়ণ কৰিবলৈ গৈ 'মিৰি-জীয়ৰী' লিখি, অইন কোনোৱেৰা ধোঁৱা চাঙত থকা মূল্যৱান সাঁচিপতীয়া পুথি-পাঁজি সংগ্রহ কৰিয়ে নতুবা আন কোনোৱে 'মাঘ কাল বাঘ ছাল'ৰ 'ল'ৰা শিক্ষা' বা বাহুকৰনীয়া প্রবন্ধৰ 'সাহিত্য-সংগ্রহ', 'নীতিশিক্ষা' আদি পাঠ্যপুথি বচনা কৰিয় মুমূর্ষু অসমীয়া ভাষাক ঠন ধৰা কৰিবলৈ উঠি-পৰি লাগিছিল যাবেহে আজি আমি অসম সাহিত্য সভাৰ অধিবেশনত সকলোৱে এনেকৈ গোট খাবলৈ সমর্থ হৈছোঁহক। আজি জানো তেনে সংকল্প, তেনে দায়িত্ববোধে আমাক অনুপ্রাণিত কৰিছে? আজি পুনঃ সংগঠিত আৰু সম্মিলিত হৈ আমি আমাৰ সাহিত্য, সমাজ আৰু জাতীয় জীৱনৰ ন্যূন্যতাবোৰ পূৰণ কৰিবলৈ মনত দৃঢ় সংকল্প লৈ কামত কাচিপাৰি লাগিবৰ হ'ল। আমাৰ লগতে থকা আৰু আমাৰ ওচৰ-চুবুৰীয়া জনজাতীয় ভাইসকলৰ জীৱনৰ সমস্যা আৰু অসন্তুষ্টিৰ কাৰণবোৰ তেওঁলোকৰ মাজলৈ গৈ তেওঁলোকৰ দুখ-সুখৰ সমভাগী হৈ বুজিব আৰু উপলব্ধি কৰিব লাগিব; তেতিয়াহে সমস্যাৰ সমাধান হ'ব, মুখৰ কথাৰে নহয়। বুজাবুজি আৰু এৰা-ধৰাই মিলনৰ মূল মন্ত্র; তাৰ অভাৱত সংঘর্ষ আৰু বিচ্ছেদ উপস্থিত হয়। মহাপুৰুষ শঙ্কৰদেৱে নগা-ভোট-গাৰো আদি জনজাতীয় ভাইসকলকো আকর্ষণ কৰিবলৈ সমর্থ হৈছিল নিজক তেওঁলোকৰ মাজত বিলাই দি। আমাৰো সেই একেটাই পন্থা। নান্যঃ। আমাৰ অন্তৰ যদি তেওঁলোকৰ দুখত পমি যায়, তেওঁলোকৰ মৰম-চেনেহ, সহায়-সহযোগ আমি নাপাম কিয়? আমাৰ অসম দেশ মোগলে উচ্ছন্ন কৰাৰ বতৰা পাই তাহানি জয়ন্তীয়া ৰজাই পলধীয়া ৰজা স্বর্গদেৱ জয়ধ্বজ সিংহলৈ লিখিছিল— 'অতঃপৰ মধ্যে শুনিলাম মগলে আসিয়া তোমাৰ ৰাজ মাৰিলে, এসকল বার্তা আমালৈ নিদিলা। X X জয়ন্তা, আৰ গড়গাঁও দুই নাহই। তোমাৰ দেশ নামাৰিছে, যেন আমাৰ দেশহে মাৰিছে, আমাৰ মনে এমত দুখ লাগিছে।' (জয়ন্তীয়া বুৰঞ্জী) আজি

তেনে সহানুভূতি আহিব জানো? আমি আত্মবীক্ষা আৰু আত্ম-বিশ্লেষণ কবি চাই সহানুভূতিবে তেওঁলোকব ওচব চাপিব লাগিব। গুৰুজনাকে কৈছিল — 'ইট্ ইট্ আগ হই, কাদ কাদ লাগ।' অর্থাৎ ইটাই ইটাই মাৰিলে জুই উঠে, কিন্তু বোকাত বোকা লাগিলে মিলি যায়। আমাৰো মন তেনে কোমল হ'ব লাগিব।

দ্বিতীয় মহাসমৰৰ পিছৰ সাহিত্যক সাম্প্রতিক সাহিত্য নাম দিয়া হয়। ইংৰাজ শাসনৰ আৰম্ভণিৰপৰা দ্বিতীয় মহাসমৰলৈকে এই কালছোৱাত অসমীয়া কবিতাত ৰোমাণ্টিক বা ৰমন্যাসৰ যুগ চলিছিল। কল্পনা-বিলাসী প্রেমৰ কবিতা, বিৰহ-বিচ্ছেদৰ ইননি-বিননি, বিফলতাৰ মাজেদি মৰা ব্রাউনিংসুৰীয়া বাহুদম্ফ, ইত্যাদিয়ে আছিল এই যুগৰ কবিতাৰ বৈশিষ্ট্য। কবিতা, চুটি-গল্প, সমালোচনা-সাহিত্য আৰু উপন্যাসে এই যুগত গা কৰি উঠিছিল। গল্প-উপন্যাসৰো মুখ্য উপজীব্য হৈ পৰিছিল ৰোমাণ্টিক প্রেম। আত্মলঘিমা আৰু আত্ম-বিলুপ্তিৰ ভাব বৈষ্ণৱ কবিসকলৰ কাব্যত যি পৰিমাণে ফুটি উঠিছিল ৰোমাণ্টিক বিদ্রোহ যুগৰ কবিসকলৰ কাব্যত সেই পৰিমাণে ফুটি উঠিছিল আত্মগত আবেগ-অনুভূতি, আশা-আকাংক্ষা আৰু আত্মপ্রকাশৰ প্রকট প্রচেষ্টা।

নতুন কবিতা

দ্বিতীয় মহাযুদ্ধই মানুহৰ চিন্তা-জগতত প্রচণ্ড ধুমুহাৰ সৃষ্টি কৰিলে। চিৰাচৰিত আদর্শসমূহৰ প্রমূল্য সম্পর্কে মনত দুর্ঘোৰ সংশয় ওপজাত মানুহৰ মনোৰাজ্যত অন্তর্দ্বন্দ্ব আৰু বিপ্লৱৰ সৃষ্টি হ'ল। সাহিত্যৰ প্রায় সকলো অঙ্গতে সেই বিপ্লৱে এটা নহয় এটা ৰূপত আত্মপ্রকাশ কৰিলে। চুটি গল্প, উপন্যাস, কবিতা, নাটক আদিত পূর্বৰ ৰমণ্যাসবাদী চিন্তাধাৰাৰ প্রভাৱ ক্ষীণ হৈ পৰিল ঃ ক্ষীণ হোৱাই নহয় কোনো কোনো ক্ষেত্রত সেই ভাবধাৰাই বিদায় লৈ নতুন ভাব-ধাৰাক বাট এৰি দিলে। এই মন্তব্য বিশেষকৈ কবিতাৰ ক্ষেত্রত খাটে। ভাব, ভাষা, প্রকাশ-ভংগী, বিষয়বস্তু সকলো পিনেদি নতুন কবিতাক মহাযুদ্ধই মানৱতাৰ ওপৰত নিক্ষেপ কৰা নির্মম বোমাবর্ষণৰে আৱশ্যম্ভাৱী ফল বোলা যায়। সেয়েহে আজিৰ কবিতাত আবেগৰ আকুলতা নাই, আছে চিন্তা, সংশয় আৰু সমস্যা-বিহ্বলতাৰ প্রতীকধর্মী শব্দসম্ভাৰ।

যুদ্ধোত্তৰ যুগক মোহভংগৰ যুগ বোলা যায়। এই যুগত নীতি-আচাৰৰ প্রতি আকর্ষণ, আদর্শৰ প্রতি শ্রদ্ধা, আনকি ধর্মৰ মোহিনী শক্তিৰ প্রতিও মানুহৰ আস্থা শিথিল হৈ পৰিল। সাহিত্যত তাৰ প্রতিফলন স্পষ্ট হৈ উঠিল। কবিতাৰ তন্দ্রালু ছন্দ, আকর্ষণীয় ভাষা, বাছকৰনীয়া শব্দসজ্জা, নিজৰাৰ নির্মল জলধাৰাৰ দৰে বৈ যোৱা সাৱলীল গতি, সকলো গ'ল। জীৱনৰ ছন্দ-পাতনৰ লগে লগে কবিতাৰো ছন্দভংগ আৰু ছন্দপতন ঘটিল। আধুনিক কবিতা আধুনিক জীৱনৰ দৰেই বিচ্ছিন্ন আৰু জটিল।

সাধাৰণ পাঠকৰ বোধগম্য নহয় — এয়ে আধুনিক কবিতা সম্পর্কে বহুতৰে আপত্তি। কবিতা অধ্যয়নৰ অন্তত কবি আৰু পাঠকৰ মাজত কলাৰ শিল্পীসম্মত একাত্মবোধ এটা বাঞ্ছনীয় লক্ষ্য। আধুনিক কবিতাৰ ক্ষেত্রত সেইটো সাধাৰণতে নঘটে। আধুনিক কবিতা আৰু তাৰ পাঠকৰ মাজত যি ব্যৱধানৰ সৃষ্টি হৈছে তাৰ অন্ত পৰাটোৱে আমাৰ কাম্য। কাৰণ, তেতিয়া কবিতা গোষ্ঠীবদ্ধতাৰ পৰা মুক্তি লাভ কৰি সাধাৰণ পাঠকৰ উপভোগ্য হৈ উঠিব। ইয়াৰ বাবে প্রয়োজন কবি আৰু পাঠকৰ দ্বিপাক্ষিক প্রস্তুতি আৰু প্রশিক্ষণৰ। মুঠতে সাম্প্রতিক সাহিত্যত কবিতাৰ ভাব-ভাষা-প্রকাশভংগীত যি জটিলতাৰ উদ্ভৱ হৈছে সি শীতৰ কুঁৱলীৰ দৰে ক্রমে ক্রমে দূৰ হ'ব আৰু সাধাৰণ পাঠকেও তাক আদৰি ল'বলৈ সমর্থ হ'ব— তাকে আমি আশা কৰিছোঁ। আমি ভাবোঁ আধুনিকেই হওক বা পুৰণিয়ে হওক, কবিতা কবিতাই ঃ পাঠকৰ উপভোগ্যৰ বস্তু।

স্বীকাৰ কৰিব লাগিব যে সাম্প্রতিক অসমীয়া সাহিত্যই ক্রমে ক্রমে ছিন্নমূল হোৱাৰ দৰে হৈ জনজীৱনৰ মাত-কথা, ভাব-চিন্তা, আশা-আকাংক্ষা-সমস্যা আৰু অভিজ্ঞতাৰ প্রতিফলন কৰিবলৈ এৰিছে। এই শ্রমজীবী শ্রমসর্বস্ব কৃষক-বনুৱাসকলৰ জীৱন লেখকসকলে যেন দূৰৰপৰা টিপ-চাকিৰে চোৱাৰ দৰেহে চায়, সেই সমস্যাবোৰৰ ভিতৰত প্রৱেশ কৰি তাৰ প্রকৃত ৰূপটো অনুভূতিৰ মাজেদি উপলব্ধি কৰিবলৈ যত্ন নকৰে। আমাৰ লেখকসকলৰ সৰহখিনিয়ে বুদ্ধিজীবী নগৰবাসী নাগৰিক। আমি কিন্তু জানো যে নগা-জীৱনৰ বাস্তৱ আৰু প্রত্যক্ষ অভিজ্ঞতায়ে আছিল ড° বীৰেন্দ্রকুমাৰ ভট্টাচার্য্যৰ 'ইয়াৰুইজম'ৰ আধাৰজান। হেমিংৱে, তাৰাশঙ্কৰ আদি ঔপন্যাসিকসকলৰ প্রত্যেকখন উপন্যাস প্রকাৰান্তৰে তেওঁলোকৰ ব্যক্তিৱ জীৱনৰ একো একোখন খণ্ড-জীৱনী স্বৰূপ। টলষ্টয়, ডষ্টয়ভস্কি আদি মনীষীসকলৰ শ্রেষ্ঠ উপন্যাসৰাজি ৰচিত হৈছিল তেওঁলোকৰ জাতীয় জীৱনৰ, তথা মানৱ জীৱনৰ বহল আৰু ঘনিষ্ঠ পৰিচয়ৰ ভেটিত। সহানুভূতি আৰু জীৱনৰ অভিজ্ঞতা সাহিত্যশিল্পৰ

মূল উপাদান। আমাৰ লেখকসকলে তেনে অভিজ্ঞতাপুষ্ট চিন্তাশ্রয়ী সাহিত্যলৈ অধিক মনোযোগ দিয়া উচিত।

সাম্প্রতিক সাহিত্যৰ স্বৰূপ

স্বৰাজোত্তৰ অসমীয়া তথা ভাৰতীয় সাহিত্যৰ প্ৰধান পৰিবৰ্তন ঘটিল জনজীৱনৰ যথাযথ মূল্যায়নত। সমাজৰ বৰলোকসকলে আজি আগৰ দৰে সাধাৰণ লোকক তঁয়া-তোকা নকৰে আৰু কৰিবও নোৱাৰে। সাধাৰণ লোকৰ জীৱনৰ মূল্য আশাতীতৰূপে উন্নীত হৈছে। তাৰ প্ৰতিফলন সাহিত্যত দেখা দিছে। ফটিক-নিৰ্মল জলাশয়ত চন্দ্ৰৰ প্ৰতিবিম্ব স্পষ্ট হৈ পৰাৰ দৰে সাধু-সাত্বিক মনত তেনে পৰিবৰ্তনৰ ছবি শীঘ্ৰে ধৰা পৰে। আচাৰ্য্য বিনোৱা ভাবেৰ জীৱনৰ এটা সৰু ঘটনা উল্লেখ কৰিলো কথাটো স্পষ্ট হ'ব।

এদিন এজন কবিয়ে শাৰদীয় চন্দ্ৰাৱলী নিশাৰ পূৰ্ণিমাৰ জোনটোৰ বৰ্ণনা থকা এটি কবিতা বিনোৱাজীৰ হাতত দিলে। আচাৰ্য্যই কবিতাটো লৈ পিছত পঢ়িম বুলি সামৰি থলে। পিছ দিনা তেওঁ কবিজনক কবিতাটো ঘুৰাই দিলে— মুকেৰে ৰাম-ৰহিম একো নক'লে। কবিয়ে সুধিলে— প্ৰশংসাৰ যোগ্য নহ'ল হ'বলা? উত্তৰত আচাৰ্য্যই ক'লে— প্ৰশংসা কি কৰিম? তোমাৰ সাম্ৰাজ্যবাদী মনৰ কবিতা মই প্ৰশংসা কৰিমে বা কেনেকৈ?

— মোৰ কবিতাত নো শুৱনজীয়ে ক'ত সাম্ৰাজ্যবাদৰ গোন্ধ পালে? মই দেখোন স্নিগ্ধ-ধৱল পূৰ্ণচন্দ্ৰৰ ৰূপহে বৰ্ণনা কৰিছোঁ।

আচাৰ্য্যই উত্তৰ দিলে— সেয়েতো সাম্ৰাজ্যবাদ। যি পূৰ্ণচন্দ্ৰৰ প্ৰভাৱত আকাশৰ এটা তৰায়ো জিলিকি নিজক প্ৰকাশ কৰিবলৈ সুযোগ নাপায় সেই চন্দ্ৰকে জানো তুমি প্ৰশংসা কৰা নাই? সেয়ে সাম্ৰাজ্যবাদ নহয় যদি সাম্ৰাজ্যবাদ নো কি? তাতকৈ তুমি যদি আঁউসীৰ আন্ধাৰ ৰাতিৰ প্ৰকৃত ৰূপ বৰ্ণনা কৰিলাহেঁতেন, যি আন্ধাৰত অসীম আকাশৰ প্ৰতিটো তৰাই আত্মপ্ৰকাশ কৰিব পাৰে, ক্ষুদ্ৰ জোনাকী পৰুৱাটোৱেও নিঃসহায় পথিকক বাট দেখুৱাবলৈ যত্ন কৰে— তেতিয়া হ'লে মোৰ মনে তোমাৰ মনে মিলি গ'লহেঁতেনঃ মই তোমাক প্ৰশংসা কৰিব পাৰিলোহেঁতেন; কাৰণ মই পূৰ্ণ লোকতন্ত্ৰত আস্থা থকা মানুহ। এয়ে আজিৰ ভাৰতীয় লেখকৰ ভাবৰ আদৰ্শ।

বৰ্তমান অসমীয়া সাহিত্যিক আৰু সাহিত্য সৃষ্টি

চীনা আক্ৰমণ, পাকিস্থানী আক্ৰমণ, ভগনীয়াৰ অনুপ্ৰৱেশ, গৰাখহনীয়া, অতিবৃষ্টি, অনাবৃষ্টি, শিলাবৃষ্টি আদি এশ এটা সমস্যাই জুৰুলা কৰা অসমখনত যি এমুঠি অসমীয়া লেখক আছে তেওঁলোকৰ কাৰণে আজি সাহিত্য-চৰ্চা দোফচলী খেতিৰ মাটিৰ দ্বিতীয় ফচলটোৰ দৰেহে। এনে কোনো এজন লেখক নাই যি কেবল সাহিত্যকে নিৰহ-নিপানী উপজীব্য কৰি চলিছে; চলা নাই, আৰু চলিবও নোৱাৰে। অসমৰ সকলো লেখকেই কম-বেছি পৰিমাণে গলমেলি-খোৱা ৰায়তঃ থাকে এঠাইত, খেতি কৰে অইন এঠাইত ঃ মূল বৃত্তি এটা, সাহিত্য-চৰ্চা দ্বিতীয় অবলম্বন বা পাছুৱাহে। এনে পৰিস্থিতিত বয়সস্থসকলক দিয়া সাহিত্যপেন্সনৰ দৰে যোগ্যতা চাই আদহীয়া সাহিত্যিক দুই এজনক উপযুক্ত 'বৃত্তি' দিয়াৰ ব্যৱস্থা কৰি পৰীক্ষামূলকভাৱে হ'লেও ন-ন দিশত সাহিত্য-সৃষ্টিৰ যত্ন কৰিব পাৰি। গণতান্ত্ৰিক চৰকাৰে সাহিত্য সভাৰ সহযোগত এই বিষয়টোলৈ মনোযোগ দিলে প্ৰভূত কাম হ'ব বুলি আমি ভাবোঁ। অনা-অসমীয়া ন-শিকাক, প্ৰাপ্তবয়স্ক শিক্ষাৰ্থী আৰু শিশুসকলৰ কাৰণে বিধে বিধে সাহিত্য প্ৰস্তুত কৰা কাম এইদৰে সহজসাধ্য হ'ব বুলি আমাৰ বিশ্বাস।

অসমীয়া সাহিত্যৰ সাম্প্রতিক প্রয়োজন

আজিৰ অসমীয়া সাহিত্যৰ প্ৰথম আৰু প্ৰধান প্ৰয়োজন পাঠক সৃষ্টি। সহজ-সৰল আকৰ্ষণীয় ভাষাত বিবিধ বিষয়ৰ পুথি ৰচনাৰে এই কাম আৰম্ভ কৰা যায়। প্ৰশ্ন হৈছে পাঠক নাই বাবে পুথি ৰচনা হোৱা নাই, নে পুথি নাই বাবেহে পাঠকো নাই। কথা বোধকৰোঁ আংশিকভাৱে দুয়োটায়ে। গছ আৰু গুটিৰ সম্বন্ধৰ দৰে ইটোৰ লগত সিটো সাঙোৱা আছে। ভাল পুথি পালে পাঠকে আগ্ৰহেৰে তাক কিনিবই আৰু পাঠকে কিনিব ধৰিলে ভাল পুথিবো প্ৰকাশন সঘন আৰু প্ৰচুৰ হ'ব।

শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱাৰ ফলত ইংৰাজী ভাষা, ইংৰাজী সাহিত্য আৰু ইংৰাজীত লিখা জ্ঞান-বিজ্ঞানৰ গ্ৰন্থ বুজা লোক ক্ৰমে কম হৈ আহিব লাগিছে; আৰু কিছুদিনৰ ভিতৰতে তেনে লোক শিক্ষিত সম্প্ৰদায়ৰ ভিতৰতো সংখ্যালঘু হৈ পৰিব। এনে স্থলত অকল গল্প উপন্যাসৰ পুথি ৰচনাতে নিৰত নাথাকি লেখকসকলে বসন্ত ৰীতিত সুপাঠ্য কবি মাতৃ-ভাষাত জ্ঞান-

বিজ্ঞানৰ বিভিন্ন স্তৰৰ কিতাপ, জীৱনী, ভ্ৰমণকাহিনী, ইতিহাস আদি ৰচনা কৰিবলৈ মনোনিৱেশ কৰা উচিত। প্ৰকাশকসকলেও তেনে কাৰ্যত উদগনি দিয়াটো নিতান্ত বাঞ্ছনীয়।

অসমীয়া সাহিত্যৰ উন্নতিকল্পে কাম হাতত ল'বলৈ হ'লে তাৰ কোন কোন দিশ বা বিষয়ত অভাৱ বা ন্যূনতা প্ৰকট হৈ আছে তালৈ নজৰ দি সেই সেই বিষয়ৰ পুথি প্ৰণয়ন কৰোৱা বিধেয়। তাহানি অসমীয়া ভাষা অসমীয়া স্কুল-কলেজত চলিবলৈ ধৰাত পদ্মনাথ গোহাঞিবৰুৱাই নিজে সাহিত্য, বুৰঞ্জী, ভূগোল, কবিতা, দেশী কছৱৎ আদি সকলো প্ৰকাৰৰ সাহিত্য প্ৰস্তুত কৰাত লাগি গৈছিল। অভাৱ মোচনৰ এনে প্ৰচেষ্টা চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত আৰু পৰিবৰ্ধিত প্ৰকাশন পৰিষদৰ দৰে অনুষ্ঠানে সাহিত্য সভাৰ লগত সংযোগ ৰাখি প্ৰণালীবদ্ধভাৱে হাতত লোৱা উচিত। পৰিষদে কেৱল এমুঠিমান পণ্ডিত লোকৰ প্ৰয়োজন পূৰোৱাতে ব্যস্ত নাথাকি জনগণৰ শিক্ষাৰ কাৰণে সহজ, সৰল ভাষাত লিখোৱা সুলভ মূল্যৰ পুথি প্ৰকাশনতো গুৰুত্ব দিয়া ভাল হ'ব। বিশ্বভাৰতীৰ লোকশিক্ষা গ্ৰন্থমালাৰ দৰে অসমীয়াতো এলানি পুথি প্ৰকাশ কৰা যায়। দৰ্শন, বিজ্ঞান, ইতিহাস আদিৰ সহজবোধ্য আৰু সুলভ মূল্যৰ সৰু সৰু পুথি যিমানে প্ৰকাশ হয়, জনসাধাৰণৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিত যি সিমানে সহায়ক হ'ব। আনন্দৰ কথা এই যে অসম সাহিত্য সভাই ইতিমধ্যে অসম আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰা বিভিন্ন জাতি-উপজাতি আৰু চাহ-বনুৱাসকলৰ মাজত প্ৰচলিত, সংগীত, বিজ্ঞান আদি বিষয়ৰ পৰিচয়মূলক কিতাপ খনচেৰেকো প্ৰকাশ কৰি উলিয়াইছে। সভাই এই দিশত আৰু অধিক মনোযোগ দিব বুলি আশা কৰিলোঁ। এনে পুথিৰ কম দামত বিক্ৰীৰ ব্যৱস্থা কৰিব পাৰিলে— প্ৰচাৰতো সহায়ক হ'ব।

উপন্যাস আৰু চুটি গল্প

উপন্যাস আৰু চুটি গল্প— এই দুয়োবিধ সাহিত্য সাধাৰণ পাঠকৰ অধ্যয়নৰ প্ৰিয় সামগ্ৰী। বিক্ৰীও সেইদৰে এই দুয়োবিধ সাহিত্যৰ বেছি। যুদ্ধৰ আগত কালডোখৰত উপন্যাসতকৈ চুটি গল্পৰ জনপ্ৰিয়তা বেছি আছিল ঃ স্বৰাজোত্তৰ যুগত উপন্যাসৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িছে। মন কৰিবলগীয়া কথা এই যে প্ৰায় একে কেইজন লেখকেই যোৱা বছৰচেৰেক ধৰি দুয়োবিধ সাহিত্যত জিলিকি আছে ঃ সেইসকলৰ বাহিৰে দিগন্তসন্ধানী প্ৰতিশ্ৰুতিপূৰ্ণ ন লেখকৰ আবিৰ্ভাৱ প্ৰায় হোৱা নাই বুলিব পাৰি, আৰু এইটো এই কালৰ অসমীয়া সাহিত্যৰ এটা উল্লেখযোগ্য পৰিস্থিতি।

আশা আৰু আনন্দৰ কথা এই যে ভাৰতীয় যিকোনো প্ৰাদেশিক ভাষাৰ লগত বৰ্তমানে অসমীয়া চুটিগল্পই গুণগতভাৱে ফেৰ মাৰিব পৰা হৈছে। বৰ্তমানৰ ব্যস্ততাসঙ্কুল জীৱনত একেজন লোকেই নানা ক্ষেত্ৰত নানা কাম কৰিবলগীয়া হোৱাৰ দৰে, সাম্প্ৰতিক অসমীয়া সাহিত্যতো এবিধ সাহিত্যৰ লেখক বুলি খ্যাতি লাভ কৰা সাহিত্যিকে অন্য এবিধত হাত দি তাতো নাম কৰা দেখা গৈছেঃ ওলট-পালটকৈ কবিয়ে উপন্যাস, গাল্পিকে কবিতা, নাট্যকাৰে প্ৰবন্ধ আদি লিখি সুখ্যাতি লভা নতুন যুগৰ অসমীয়া সাহিত্যৰ এটা লক্ষ্যণীয় পৰিবৰ্তন। অবশ্যে প্ৰাচীনসকলৰ ভিতৰত বেজবৰুৱা আৰু গোহাঞিবৰুৱায়ে ইয়াৰ আৰ্হি ৰাখি থৈ গৈছে। ই তাহানি লাচিত বৰফুকনৰ দিনত 'প্ৰতিজন অসমীয়া সৈন্যই নাও বোৱা, কাঁৰ মৰা, খাৰৈ খন্দা আৰু হিলৈ-কামান মৰা' আদি সকলো কামতে নৈপুণ্য দেখুৱাই সেনাপতি ৰামসিংহক চমৎকৃত কৰাৰ গৌৰৱময় কাহিনী সোঁৱৰাই দিয়ে।

অসমীয়া উপন্যাস আৰু চুটি গল্পই ইতিমধ্যে একাধিকবাৰ সাহিত্য একাডেমিৰ বঁটা-লাভৰ যোগেদি সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰি নিজ নিজ যোগ্যতা প্ৰতিপন্ন কৰিছে। এইবাৰো 'পিতা-পুত্ৰ' উপন্যাসখনৰ বাবে সাহিত্যিক আৰু সাংবাদিক শ্ৰীহোমেন বৰগোহাঞিয়ে ১৯৭৮ চনৰ সাহিত্য একাডেমী বঁটা লাভ কৰি অসমীয়া সাহিত্যৰ গৌৰৱ বঢ়াইছে। এই চেগতে আমি তেওঁক অভিনন্দন জনালোঁ।

নাট্য সাহিত্য

অসমীয়া নাট্য সাহিত্যত বৰ্তমানে চাৰি প্ৰকাৰৰ নাটকৰ চলন্তি আছে। ভাওনাৰ নাটক, থিয়েটাৰৰ নাটক, কথাছবিৰ নাটক আৰু অনাতাঁৰৰ নাটক। ন-ন আঙ্গিকৰ পৰীক্ষা, ন-ন প্ৰতীকৰ সমীক্ষা, উপস্থাপনৰ নতুন নতুন কৌশলৰ আখৰা নিতে নিতে নাট্য জগতত চলিবই লাগিছে। দেশ-বিদেশৰ নতুন নতুন নাটকৰ অনুবাদ আৰু সেইবোৰৰ মঞ্চ-ৰূপায়ণৰ নতুন নতুন প্ৰচেষ্টাও চলি আছে। গতানুগতিকতা বৰ্জন আৰু ন-ন কৌশলৰ নতুন বিষয়বস্তুৰ উপস্থাপন এয়ে সাম্প্ৰতিক কালৰ নাটকৰ বৈশিষ্ট্য। আমাৰ দেশৰ বায়ুপানী আৰু ওপজা মাটিৰ গোন্ধ গ্ৰহণ কৰি সৰ্বতোপ্ৰকাৰে আকৰ্ষণীয় হৈ উঠিব পৰাৰ ওপৰতে

ইয়াৰ ভৱিষ্যৎ নির্ভৰ কৰিছে।

নাটৰ অভিনয়ক কেৱল অভিনেতাসকলৰ অৱসৰ-বিনোদনৰ সমল হিচাপে নাৰাখি বৃত্তি স্তৰলৈ নিব পাৰিলে এক শ্রেণীৰ লোকৰ জীৱিকা চলিব, শিল্পয়ো উন্নতি লাভ কৰিব। বস্তুতঃ ভ্রাম্যমান, ঘাইকৈ গাঁও অঞ্চলৰ শিল্পীসকলৰ দ্বাৰা গঠিত ভ্রাম্যমান থিয়েটাৰ দলসমূহেহে তাকেই কৰিব লাগিছে। এই শিল্পীসকলৰ দ্বাৰা ৰূপায়িত প্রায়বোৰ নাটকৰে বিষয়বস্তু ভাষা আৰু সাহিত্যৰ মান উন্নত কৰাৰ যথেষ্ট স্থল আছে। উদ্যোক্তাসকলে সেই বিষয়ে চকু দিব বুলি আশা কৰিছোঁ।

গাঁও আৰু চহৰৰ কাৰণে পৃথক বিষয়বস্তু আৰু পৃথক ৰীতিৰ নাট খাপ-খোৱাকৈ ৰচনা কৰিলে ব্যৱসায় আৰু শিল্পকলা দুয়ো ফালৰপৰা হিতকৰ হ'ব। লগতে সজ আদর্শৰ প্রতিও দৃষ্টি ৰাখিব লাগিব। কেৱল দর্শকৰ মনোৰঞ্জন কৰাটোৱে লক্ষ্য হোৱা অনুচিত। এই বিষয়ত গুৰু দুজনাৰ নাট্য সাহিত্যই আমাৰ আগত আদর্শ ৰাখি থৈ গৈছে।

ভ্রাম্যমান অভিনয় দলসমূহে গঞা ৰাইজৰ এটা বিৰাট অভাৱ পূৰ কৰিছে আৰু জাতীয় সংহতিৰো কর্তব্য পালন কৰিছে। ভ্রাম্যমান নাট্যশিল্পৰ অভ্যুদয় আধুনিক যুগৰ সাংস্কৃতিক জীৱনৰ উল্লেখযোগ্য পদক্ষেপ। ভাষা-সাহিত্য-সংস্কৃতি প্রচাৰৰ ই এটা উত্তম মাধ্যম। এই নাট্য-শিল্পই এফালে যেনেকৈ শিল্প-চর্চা কৰাৰ লগতে জনগণক আনন্দ দান কৰিছে, আনফালে তেনেকৈ শিল্পীসকলক জীৱিকা-নির্বাহৰো উপায় উলিয়াই দিছে আৰু বিভিন্ন শিক্ষা-শিল্প-সাহিত্য-সংস্কৃতি আদি অনুষ্ঠানবোৰলৈও সহায় আগবঢ়াইছে। কলা-কৃষ্টি আৰু সাহিত্য— দুয়ো এই ক্ষেত্রত হাতত ধৰা-ধৰিকৈ আগবাঢ়ক তাকে আমি কামনা কৰিছোঁ।

সমালোচনা

কিতাপৰ চিনাকি আৰু সমালোচনা দেখদেখকৈ দুটা পৃথক বস্তু। সমালোচনাত আলোচ্য গ্রন্থৰ গুণ-দোষ দেখুৱাত বাহিৰেও উন্নয়নৰ অন্য দিশৰ ইংগিত থাকে। পিছে আমাৰ সাহিত্যত বহুত সময়ত আজিকালি আলোচ্য বিষয়তকৈও প্রায়ে সমালোচকৰ নিজৰ জ্ঞানৰ পৰিসৰসূচক কথাইহে অধিক গুৰুত্ব লাভ কৰা দেখা যায়। সমালোচনাও প্রায়ে ব্যক্তিমুখী আৰু গোষ্ঠীকেন্দ্রী হৈ পৰিছে।

সমালোচনাৰ পদ্ধতি দিনে দিনে সলনি হ'ব লাগিছে। ই ক্রমে জটিলৰপৰা জটিলতৰ হৈ আহিছে। অতীতত সংস্কৃত আলঙ্কাৰিকসকলে সমালোচনাত অলঙ্কাৰবাদৰপৰা ধ্বনিবাদলৈকে ৰস, অলঙ্কাৰ, বক্রোক্তি, ৰীতি, ধ্বনি-এনেবোৰ দিশৰপৰা আলোচনাৰ অৱতাৰণা কৰিছিল। এই পদ্ধতি মূলতঃ বিশ্লেষণাত্মক আৰু ৰস-কেন্দ্রিক।

সত্য-অসত্যৰ বিচাৰ আলোচনাৰ ঘাই কাম। ভাব-প্রৱণতা সর্বতোভাৱে পৰিহাৰ কৰি সমালোচক সদায় সংযত আৰু নিৰপেক্ষ হোৱা উচিত। অবাঞ্ছিতভাৱে প্রশংসামুখৰ হোৱা বা অন্যায়ভাৱে কঠোৰ হোৱা— কোনোটোৱে সমালোচকৰ কাৰণে বাঞ্ছনীয় নহয়। ব্যাখ্যাত্মক, তুলনাত্মক, ঐতিহাসিক, দার্শনিক, নন্দনতাত্ত্বিক আদি সমালোচনাৰ বিভিন্ন পদ্ধতি আছে যদিও প্রযোজ্য পদ্ধতি সমালোচকৰ নিজস্ব বস্তু।

আলোচ্য বিষয়ৰ গভীৰ আৰু ব্যাপক জ্ঞান নাথাকিলে সমালোচনা তৰাং আৰু চালেবেৰে-কোবোৰা পল্লৱগ্রাহী বিধৰ হয়। আজিৰ দিনত 'গুৰুৰে দিয়ে মাটি, শিছে ধৰে আটি' বোলা নীতিৰ দিন নাই। সকলোৱে শক্তি অনুসাৰে সমালোচনাৰ তীক্ষ্ণ দৃষ্টিৰে সকলো বস্তু পর্যবেক্ষণ কৰিহে গ্রহণ কৰে। ড° কে এম মুঞ্চিয়ে সমালোচনা প্রসংগত শ্রীকৃষ্ণ সম্পর্কে কৈছিল— ঈশ্বৰ কৃষ্ণ ধৰাত নৰৰূপে অৱতীর্ণ হৈছিল বোলা কথাটো ঠিক নহয়, নৰ-কৃষ্ণহে গুণৰ উৎকর্ষ লাভ কৰি গৈ ঈশ্বৰ-কৃষ্ণত পৰিণত হৈছিল বুলিলেহে কথাটো খেও খায়।

প্রতিজন সার্থক লেখক একো-একোজন সার্থক সমালোচকো। লেখকৰ মনত সমালোচকৰ ভাবে লেখাৰ লগে লগে কাম কৰি থাকে; সেয়েহে তেওঁ লেখে আৰু কাটে। ৰবি ঠাকুৰে কটাবোৰত জেঠি-মকৰা-ঘৰিয়াল আদিৰ ছবি আঁকি থৈছিল। ই তেওঁৰ শিল্পী মনৰ ক্রিয়া।

সমালোচকে মোকর্দমাৰ অধিবক্তাৰ দৰেও কাম কৰে। আইনজ্ঞ প্রবক্তাই আইনৰ যুক্তিৰে মোকর্দমাৰ সত্য স্থাপন কৰিবলৈ যোৱাৰ দৰে সমালোচকেও বিশ্লেষণী প্রতিভাৰে যুক্তিৰ সহায়ত নিজৰ প্রতিপাদ্য ধাৰণাৰ প্রতিষ্ঠা কৰে। এইদৰে একোজন বলিষ্ঠ সমালোচকে ব্যক্তি-প্রতিভা বা সাহিত্যৰ আন্দোলন একোটাক বাট দেখুৱাই আগবঢ়াই দিয়ে। ড° ৰাণীকান্ত কাকতিয়ে বঘুৰাথ চৌধাৰী, যতীন্দ্রনাথ দুৱৰা আৰু অম্বিকাগিৰী ৰায়চৌধুৰীক যিদৰে পাঠকৰ আগত দাঙি ধৰিছিল, ৰোমাণ্টিক কাব্য-

আন্দোলনটোকো সেইদৰে যুক্তিৰে আগবঢ়াই নিছিল। সাম্প্ৰতিক কবিতাতো তেনে প্ৰবক্তা-সমালোচকৰ প্ৰয়োজন হৈছে। বৰ্তমানে তেনে প্ৰবক্তা এগৰাকীৰ অভাৱত কবি আৰু পাঠকৰ মাজত ঘনিষ্ঠ সংযোগ স্থাপন ব্যাহত হোৱা যেন লাগিছে।

বৰ্তমান আমাৰ ভাষাত নবীন-প্ৰবীণ সমালোচকসকলে ঐতিহাসিক, তুলনাত্মক, বিশ্লেষণাত্মক আদি পদ্ধতিত সমালোচনা সম্ভাৰ আগবঢ়াই আছে। স্বাজোত্তৰ যুগত সামাজিক দৃষ্টভঙ্গীৰৰ সমালোচনায়ো প্ৰসাৰতা লাভ কৰিছে। সমালোচনাৰ ক্ষেত্ৰত আমাৰ সাহিত্যত আৰু অধিক মনোযোগ দিয়াৰ প্ৰয়োজন আছে বুলি আমাৰ অনুভৱ হয়।

সাহিত্য সমালোচনাৰ উপৰিও সঙ্গীত, চিত্ৰকলা, ভাস্কৰ্য আদি সুকুমাৰ কলাৰ সমালোচনা আমাৰ ভাষাত সীমিত। এই বিষয়ে মনোযোগ দিবলৈও যোগ্য লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

শিশু-আলোচনী আৰু শিশু-সাহিত্য

আমাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অথচ আটাইতকৈ অৱহেলিত বিষয়টো হৈছে শিশু-সাহিত্য, বিশেষকৈ শিশু-আলোচনী। সাম্প্ৰতিক অসমীয়া সাহিত্যত শিশু-সাহিত্যৰ অৱস্থা হৈছে — 'যিবা কহে যিবা শুনে দুইৰো মহালজ্জা' ধৰণৰ। আজি অসমীয়া সাহিত্যত শিশুৰ হাতত দিবলৈ এখনো শিশু-আলোচনী নাই। 'জোনবাই' মাৰ গ'ল, 'দীপক' বিস্মৃতিৰ আন্ধাৰত বিলীন হ'ল : 'ৰংঘৰ', 'অৰুণ', 'অৰুণ', 'কাঁচিজোন'ৰ স্মৃতি মাত্ৰ আছে।

গছৰ পুলি আৰু শিশু দুয়োৰো একে অৱস্থা। শুৱিত উপযুক্ত সাৰ-পানীৰ অভাৱ হ'লে গছ-পুলিতে কেৰোণে ধৰে : মানৱ শিশুৰো খাদ্যাভাৱ হ'লে পয়া লাগে। কোনোটোৱে তেতিয়া উদ্‌গতি কৰিব নোৱাৰে। শিশুৰ কাৰণে শাৰীৰিক পুষ্টি যেনে প্ৰয়োজনীয়, মানসিক পুষ্টিও সমানে আৱশ্যকীয়। শিশুৰ মন অতি পৱিত্ৰ আৰু সেইবাবে শিশুক দেৱ-শিশু বোলে। শিশুৰ তেনে নিৰ্মল আৰু কোমল মনত সুসাহিত্যৰ প্ৰতি অনুৰাগ-সৃষ্টি নিতান্ত প্ৰয়োজনীয়। এবাৰ পুথি অধ্যয়নৰ ৰাগী মনত বহিলে সি সহজে এৰা নিদিয়ে। সেইবাবে শিশুৰ হাতত উপযুক্ত পুথি আৰু আলোচনী দিয়া পিতৃ-মাতৃৰ কৰ্তব্য। 'দেশ প্ৰগতিৰ পথত' বুলি বাহিৰত ঢোল-ডগৰ বজাই ফুৰি ঘৰত শিশুৰ হাতত দিবলৈও এখন আলোচনী নথকা অৱস্থাটো সঁচাকৈয়ে অতি শোচনীয় আৰু লজ্জাজনক। নক'লেও হ'ব যে এখন উচ্চ-মানবিশিষ্ট শিশু-আলোচনীৰ বৰ্তমান অৱস্থাত আমাৰ ভাষাত অতি প্ৰয়োজন হৈছে।

শিশু-সাহিত্য দুই প্ৰকাৰৰ : এক প্ৰকাৰৰ নীতিধৰ্মী উপদেশমূলক, অন্য প্ৰকাৰ মনোৰঞ্জন-প্ৰয়াসী। পুৰণি কালৰ বিষ্ণুশৰ্মা, ঈচপ আদি পণ্ডিতসকল নীতিধৰ্মী শিশু-সাহিত্যৰ আদি লেখক। এই শ্ৰেণীৰ লেখকে জ্ঞান-বৃক্ষৰ পকা ফল শিশুলৈ আগবঢ়ায়। মনোৰঞ্জন-প্ৰয়াসীসকলে শিশুৰ মনোবিজ্ঞান বুজি শিশুৰ লগত একাত্মীয়তা অনুভৱ কৰে আৰু তেওঁলোকৰ চিন্তাৰ মধুৰ ফল শিশুলৈ আগবঢ়ায়। পোনপটীয়া উপদেশ দিয়া তেওঁলোকৰ উদ্দেশ্য নহয়, মনত ৰং-ৰহইচ লগোৱাটোহে তেওঁলোকৰ লক্ষ্য। ইউৰোপৰ লেখক লুই কেৰলৰ লেখা আৰু আমাৰ দেশৰ কাণখোৱা, ভীম-চৰিত আদি এই বিধৰ সাহিত্যৰ উদাহৰণ। নীতি-শিক্ষা দিবলৈ ৰচনা কৰা আখ্যানৰো কিন্তু শিশুৰে আখ্যানটোহে লয়, নীতিখিনি পিচলি যায়।

অনাতাঁৰৰ অৱলম্বনত বহুতে আজিকালি শিশুনাট ৰচনা কৰিছে। শিশু-উপন্যাসো একেবাৰে নোহোৱা নহয়, কিন্তু সংখ্যাত নিচেই তাকৰ।

ইং ১৯৭৯ চনটো আন্তঃৰাষ্ট্ৰীয় শিশু-বৰ্ষ হিচাপে ৰাষ্ট্ৰসংঘৰ দ্বাৰা অনুষ্ঠিত হৈছে। আমি আশা কৰিছোঁ আমাৰ এই বৰ্ষ-পালন আঁচনি ধ্বনি-সৰ্বস্ব আদৰ্শতে সীমাবদ্ধ নাথাকি ৰক্ষণাবেক্ষণ, খাদ্য, শিক্ষা আদিৰ উপৰি শিশু-সাহিত্য সৃষ্টিৰো অনুকূল আৰু সহায়ক হ'ব।

চৰকাৰী পৃষ্ঠপোষকতাত চলি থকা আমাৰ প্ৰকাশন পৰিষদে এই বছৰতে শিশু-সাহিত্য ৰচনা আৰু প্ৰকাশৰ এটি কাৰ্যকৰী আঁচনি হাতত ল'লে তাঁলে সাহিত্য সভাৰো সক্ৰিয় সহযোগিতা আগবঢ়াব পাৰে; লগতে ব্যক্তিগত প্ৰকাশক আৰু অনুষ্ঠানসমূহেও কিছু সংখ্যক শিশু সাহিত্য এই বছৰতে প্ৰকাশৰ ব্যৱস্থা কৰিলে আমাৰ শিশু সাহিত্যৰ কিছু অভাৱ পূৰ হ'ব।

এইখিনিতে উল্লেখ কৰা যায় যে আমাৰ দেশত 'মইনা-পাখিজাত', 'চেমনীয়া চ'ৰা' আদি অনুষ্ঠানবোৰে শিশুসকলৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে প্ৰচেষ্টা চলাই আছে। এনেবোৰ অনুষ্ঠানেও শিশুসকলৰ মনত সাহিত্যৰ প্ৰতি অনুৰাগ সৃষ্টি কৰিবলৈ বিশেষ মনোযোগ দিব বুলি আশা কৰা হ'ল।

সংবাদ-সাহিত্য

সংস্কৃতত সংবাদ শব্দৰ এটা অর্থ কথোপকথন; যেনে-হৰ-গৌৰী সংবাদ। তাৰপৰাই আজিকালি বাতৰি কাকতৰ জৰিয়তে প্ৰচাৰ হোৱা সংবাদ-সাহিত্যৰ সৃষ্টি হৈছে। এই সাহিত্যৰ ক্ষেত্ৰ দিনক দিনে বিস্তীৰ্ণ হ'ব লাগিছে। যথাৰ্থতে বৰ্তমান সময়ত ইয়াৰ কবলৰপৰা সাহিত্যৰ কোনো বিভাগেই সম্পূৰ্ণ মুক্ত নহয়। সংবাদ সেৱীসকলৰ সাধু প্ৰচেষ্টাৰ ওপৰত ভাষা, সাহিত্য আৰু দেশৰ মঙ্গল আৰু অগ্ৰগতি ভালেখিনি নিৰ্ভৰ কৰে। আলোচনী আৰু বাতৰি কাকতৰ শব্দ, প্ৰকাশভংগী, ৰচনাশৈলী, আখৰ-জোঁটনি আদিয়ে পাঠকৰ মনত দ সাঁচ বহুৱায়। এইবোৰৰ শুদ্ধাশুদ্ধৰ ওপৰত ভাষা-সাহিত্যৰ ভৱিষ্যৎ গাঁথনি বহু পৰিমাণে নিৰ্ভৰশীল। সেইবাবে ভাষা-সাহিত্য সম্পৰ্কীয় সকলো নতুন আঁচনি সংবাদ-সাহিত্যসেৱীগোষ্ঠীৰ কৰ্ণ-গোচৰ কৰিব লাগে আৰু তেওঁলোকেও উৎসাহী হৈ এনে প্ৰচেষ্টাত হাত উজান দিয়া উচিত।

আকাশবাণী-সাহিত্য

দিন-ৰাতি কাণত বাজি থকা সুৰ আৰু কথাই 'কাণৰ ভিতৰ দিয়া মৰমে পশিল গো'— হৈ হৃদয়ত দ ছাপ বহুৱায়। আকাশবাণী এসময়ত 'আকাছবাণী' ৰূপে প্ৰচাৰ হ'ব খোজাই তাৰ উদাহৰণ। আকাশবাণীৰ পৰা প্ৰচাৰ কৰা বাতৰি আৰু আলেখ্যাদিৰ ভাষা আৰু সাহিত্য যাতে নিখুঁত হয় তাৰ বাবে যত্ন লোৱাটো নিতান্ত প্ৰয়োজনীয়। আকাশবাণীৰ কিছুমান নাটক, কথিকা, গীত, আলেখ্য, আলোচনা আদি অসমীয়া সাহিত্যৰ ভঁৰাললৈ বহুমূলীয়া ৰত্নৰাজি যোগাইছে। ৰচনাৰ বিনিময়ত পাৰিশ্ৰমিক দিয়াৰ ব্যৱস্থা থকা বাবে লেখকসকলে সাধাৰণতে যি লিখে যত্নসহকাৰে লিখে। ড° বাণীকান্ত কাকতিৰ দৰে পণ্ডিতসকলো বিবিধ বিষয়ৰ বহুত মূল্যৱান ৰচনা আকাশবাণীৰ যোগে প্ৰচাৰ হৈছিল।

আকাশবাণীয়ে নাট-গীত-ৰচনা-আলেখ্য আদি প্ৰচাৰতে ক্ষান্ত নাথাকি সেইবোৰৰ বছা বছাখিনিৰে বছৰি একোখন আকাশবাণী সাহিত্য-সংকলন প্ৰকাশনৰ ব্যৱস্থা কৰিলে আমাৰ সাহিত্যৰ নথে উপকাৰ হ'ব।

আলোচনী সাহিত্য

আলোচনী নবীন-প্ৰবীণ সাহিত্যিকসকলৰ তীৰ্থ-ক্ষেত্ৰ। আলোচনীৰ অভাৱে সাহিত্য-প্ৰচেষ্টাৰ ধাৰাবাহিকতা ব্যাহত কৰে। উচ্চ মানবিশিষ্ট জনপ্ৰিয় আলোচনীৰ দৈন্য সাম্প্ৰতিক অসমীয়া সাহিত্যৰ অগ্ৰগতিৰ পথৰ প্ৰধান প্ৰতিবন্ধক হৈ পৰিছে। উষা, বাঁহী, আবাহন, ৰামধেনু, জয়ন্তীৰ দৰে যুগ-প্ৰবৰ্তক সৰ্বজনপ্ৰিয় আলোচনী আজি অসমত প্ৰায় নাই বুলিলেই হয়। এনে সৰু-ৰ খনচেৰেক আলোচনী আমাক লাগে।

এইখিনিতে অসম সাহিত্য সভাৰ তিনিমহীয়া আলোচনা 'সাহিত্য সভা পত্ৰিকা'ৰ কথা উল্লেখ কৰিব পাৰি। এই আলোচনীখনৰ সম্পাদনাৰ বিষয়ে বিশেষ ক'বলগীয়া নাই যদিও প্ৰচাৰৰ ফালটোত ই এতিয়াও নিঃকিন হৈ আছে। ইয়াৰ প্ৰচাৰ কেনেকৈ বঢ়াব পাৰি তাৰ কাৰ্যকৰী ব্যৱস্থা ল'বলৈ চিন্তা কৰিব লাগিব।

কোনো কোনো আলোচনীয়ে মাজে সময়ে নগ্ন চাঞ্চল্যকৰ কাহিনী, গল্প বা উপন্যাসৰ যোগেদি এক শ্ৰেণীৰ পাঠকৰ মন আকৰ্ষণ কৰিবলৈ যত্ন কৰা দেখা যায়। এনেবোৰ চাঞ্চল্যকৰ বিষয়বস্তুৰে সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰিবপৰা গ'লেও সি যাতে পাঠকসমাজক সাহিত্যৰ প্ৰকৃত ৰুচিৰপৰা বিপথগামী কৰিব নোৱাৰে তাৰ প্ৰতি আলোচনীৰ কৰ্মকৰ্তাসকল সজাগ থকা উচিত।

ব্যৱসায়ৰ ফালৰপৰা লাভজনক নোহোৱা বাবে আলোচনী নিটিকে বুলি এটা আপত্তি শুনা যায়। ইফালে কিন্তু আমাৰ শিক্ষিত লোকৰ সংখ্যাও বাঢ়িছে। ভাল ইংৰাজী, বঙলা আদি আলোচনীবোৰো দেখোন ঠিকমতে চলি আছে। আনকি অসমীয়া পাঠকৰে এটা বুজন অংশই সেইবোৰ কিনি পঢ়ে। গতিকে পাঠক নাই বুলিও ক'বলৈ টান। এই পৰিস্থিতিত কেৰোণটো ক'ত চিন্তা কৰিবলগীয়া। আমি ভাবোঁ পাঠকৰ ৰুচি আৰু চিন্তাৰ চাহিদা পূৰণ কৰিবপৰা উপযুক্ত আলোচনী নোহোৱাটোৱে তাৰ এটা ঘাই কাৰণ। আলোচনী সাহিত্যসেৱীসকলে এই বিষয়ে চিন্তা কৰে যেন।

প্ৰসংগক্ৰমে উল্লেখ কৰা যায় যে আমি জনাত বৰ্তমান অসমত প্ৰায় ১৩৫খন মহাবিদ্যালয়, ১৭০০ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক স্কুল আৰু চাৰি হাজাৰখন মজলীয়া স্কুল আছে। উচ্চ মানবিশিষ্ট বছা বছা আলোচনী কেইখনমানৰ এইবোৰত যদি আনকি এখনকৈও ৰখা হয় তেনেহ'লে গ্ৰাহকৰ অভাৱত সেইবোৰ আলোচনী নচলাৰ কাৰণ নাথাকিব। আমাৰ

অসমীয়া ভাষা-প্রেম যাতে পাঠ্যপুথিৰ পঠন-পাঠনতে আবদ্ধ নৰয়— সেই দিশটোও চিন্তা কৰিবলৈ মই সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত গোহাৰি জনালোঁ।

স্মৃতিগ্ৰন্থ আৰু সাহিত্য সংকলন

বিগত বছৰচেৰেকৰ পৰা অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনবোৰত স্মৃতিগ্ৰন্থ আৰু সাহিত্য সংকলন প্ৰকাশ কৰা প্ৰত্যেক আদৰণি সমিতিৰে এটা পৰম্পৰাগত কৰ্তব্য হৈ পৰিছে। অন্যান্য অনুষ্ঠানবোৰেও শক্তি অনুসাৰে স্মৃতিগ্ৰন্থ একোখনি বাৰ্ষিক অধিবেশনৰ লগত প্ৰায়ে প্ৰকাশ কৰে। ই এটা উৎসাহজনক শুভ লক্ষণ। পিছে গ্ৰন্থবোৰ আলোচনীৰ আৰ্হিত নকৰি উচ্চ মানবিশিষ্ট প্ৰবন্ধ সম্ভাৰেৰে নামে-কামে গ্ৰন্থৰ আকাৰত উলিয়ালে সেইবোৰৰ প্ৰত্যেকে সাহিত্যৰ ভঁৰালৈলে একোপদ যুগমীয়া অৰিহণা হৈ থাকিব। স্মৃতিগ্ৰন্থ নাম নিদি সেইবোৰক বিশেষ অৰ্থসূচক ভিন ভিন নামেৰেও বিভূষিত কৰা যায়।

অনুবাদ-সাহিত্য

সাহিত্য গতিশীল বস্তু। বেদৰ 'চৰৈৰেতি, চৰৈৰেতি' মন্ত্ৰয়ে তাৰ ধৰ্ম। 'বহুজন সুখায়, বহুজন হিতায় চ' তাৰ গতি। দেশৰপৰা দেশান্তৰলৈ, ভাষাৰপৰা ভাষান্তৰলৈ গতি অনুবাদ-সাহিত্যৰ মূল প্ৰবৃত্তি। পুৰাণ-প্ৰসিদ্ধ পৰশুৰামে ব্ৰহ্মকুণ্ডৰ পাৰ কাটি জনগণৰ মংগলৰ অৰ্থে ব্ৰহ্মপুত্ৰ নমাই অনাৰ দৰে নতুন যুগৰ পৰশুৰামসকলে দেশী-বিদেশী ভাষাৰ সঞ্চিত সাহিত্য-কুণ্ডৰ পাৰ কাটি সেই সেই সাহিত্যৰ পৱিত্ৰ সলিল আমাৰ ভাষালৈ বোৱাই আনি সাহিত্যৰ মিলন-তীৰ্থ স্থাপন কৰিব পাৰে। মধ্য যুগত শ্ৰীমন্ত শংকৰে অসমীয়া সাহিত্যত তাৰ উজ্জ্বল আদৰ্শ দাঙি ধৰিছিল।

বাইবেল লেটিন ভাষাত থাকোঁতে ইউৰোপত লেটিন নজনা জনসাধৰণে ভাটৌৰ দৰে বাইবেল মুখস্থ কৰি কাম চলাইছিল। ষোল শতিকাত মহত্মা লুথাৰে দেশী ভাষালৈ বাইবেল অনুবাদ কৰাৰ ফলত খৃষ্টধৰ্ম ঠন ধৰি উঠিছিল, ভাষায়ো নতুন তেজ-শক্তি লাভ কৰিছিল। ভাগৱতী ধৰ্ম প্ৰচাৰৰ সময়ৰ অসমীয়া ধৰ্মীয়-সাহিত্য তাৰে এটা অনুৰূপ উদাহৰণ।

অনুবাদ দুই ৰকমৰ হ'ব পাৰে ঃ ভাবানুগ আৰু মূলানুগ। য'তে যিটো সম্ভৱ আৰু প্ৰয়োজনীয় তাকে কৰিব লাগে।পৃথিৱীৰ শ্ৰেষ্ঠ গ্ৰন্থৰাজিৰ এখন তালিকা প্ৰস্তুত কৰি লৈ তাৰ পৰা বাছি বিচাৰি ভালৰো ভালবোৰ অসমীয়ালৈ অনুবাদ কৰোৱাৰ ব্যৱস্থা আমি হাতত লোৱা উচিত। গেটে, হিউগো, টলষ্টয়, প্লেটো, এৰিষ্টটল প্ৰভৃতি মণীষীসকলৰ বাছকৰনীয়া গ্ৰন্থৰ উপৰিও স্মাইলচৰ 'চৰিত্ৰ' (Character), 'স্বাৱলম্বন' (Self-help) আদি গ্ৰন্থ আৰু নৱেল বঁটা লাভ কৰা শ্ৰেষ্ঠ পুথিসমূহো তাত অন্তৰ্ভুক্ত হ'ব লাগে। নৱেল বঁটা লাভ কৰা শ্ৰেষ্ঠ পুথিসমূহো তাত অন্তৰ্ভুক্ত হ'ব লাগে। হিন্দী, তামিল, মালায়ালম, উৰিয়া, মাৰাঠী, বঙলা প্ৰভৃতি ভাৰতীয় প্ৰাদেশিক ভাষাসমূহৰ ন-পুৰণি শ্ৰেষ্ঠ গ্ৰন্থও তালিকাভুক্ত হোৱা উচিত।

বাস্তৱ জীৱনত প্ৰথমে আত্মীয়-স্বজনৰ খা-খবৰ লোৱাটোৱে নিয়ম। তেনেকৈ অনুবাদৰক্ষেত্ৰতো ভাৰতীয় সাহিত্যকে অগ্ৰাধিকাৰ দিয়া সমীচীন যেন লাগে। ভাৰতৰ নাট্যশাস্ত্ৰৰ দৰে প্ৰাচীন শ্ৰেষ্ঠ গ্ৰন্থৰ অনুবাদ আজিলৈকে অসমীয়াত নোহোৱাটো পৱিতাপৰ কথা।

বৌদ্ধ, জৈন, খৃষ্টান, ইচলাম আদি সকলো ধৰ্মৰ মূল গ্ৰন্থবোৰ নহ'লেও তাৰ নিৰ্ভুল আভাস থকা গ্ৰন্থ অসমীয়ালৈ অনুবাদ হোৱা উচিত। তেনে গ্ৰন্থৰ অধ্যয়নে পাঠকৰ ধৰ্মীয় ধাৰণাৰ দিগ্বলয় বিস্তীৰ্ণ কৰে আৰু উদাৰভাৱে চিন্তা কৰিবলৈ মনত প্ৰবৃত্তি জগায়।

বিশ্ব সাহিত্যৰ বিভিন্ন স্ৰোত-উপস্ৰোতৰ লগত সংযোগ স্থাপন আৰু পাঠকৰ মনৰ বৌদ্ধিক দিগ্বলয়-বিস্তাৰ অনুবাদ সাহিত্যৰ অন্যতম উদ্দেশ্য। এই প্ৰসংগত আৰু এটা কথা মনত ৰাখিব লাগে যে আজিৰ যুগ আদান-প্ৰদানৰ যুগ, প্ৰচাৰ আৰু প্ৰসাৰৰ যুগ। গতিকে আমাৰ অসমীয়া সাহিত্যতো যিবোৰ শ্ৰেষ্ঠ সম্পদৰ সৃষ্টি হৈছে, কবিতা, উপন্যাস, চুটিগল্প, ৰচনা আদিত আমাৰ যিখিনি উৎকৃষ্ট সাহিত্য প্ৰকাশ হৈছে, সেইখিনি হিন্দী, বঙলা, উৰিয়া আদি অন্যান্য প্ৰাদেশিক ভাষা আৰু ইংৰাজীলৈ অনুবাদ হোৱা উচিত। সুখৰ কথা আজি বহুৰ চেৰেকৰ ভিতৰত এই কাম অনুষ্টুপীয়াভাৱে হ'লেও চলিব ধৰিছে। উদ্যোক্তাসকলৰ আমি শলাগ ল'লো।

বৰ্তমানে পুৰণি অসমীয়া সাহিত্য, বিশেষকৈ অঙ্কীয়া নাট আৰু ৰৰগীতসমূহ হিন্দী আদি ভাষালৈ লিপ্যন্তৰ হোৱা দেখা গৈছে। ই উৎসাহ আৰু আনন্দৰ কথা; কিন্তু লিপ্যন্তৰ কৰোঁতে যাতে অসমীয়া উচ্চাৰণ ঠিক থাকে আৰু মূল কানো প্ৰকাৰে বিকৃত

নহয় লিপ্যন্তৰকাৰীসকলে সেই বিষয়ে সতৰ্ক থকা উচিত হ'ব। এই ক্ষেত্ৰত উদ্যোক্তাসকলো আমাৰ আন্তৰিক ধন্যবাদৰ পাত্ৰ।

ৰচনাৱলী

ৰচনাৱলী সংকলন আৰু সম্পাদন নতুন যুগৰ অসমীয়া সাহিত্যৰ এৰিধ নৱ-সংযোজনা। বেজবৰুৱা, গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৰজনীকান্ত বৰদলৈ, ভোলানাথ দাস, ৰত্নেশ্বৰ মহন্ত, ফণী শৰ্মা, দুৰ্গেশ্বৰ শৰ্মা আদি লেখকসকলৰ ৰচনাৱলী প্ৰকাশে অসমীয়া ভাষাৰ সৌষ্ঠৱ আৰু মৰ্যাদা বৃদ্ধিত সহায় কৰিছে। বিস্মৃতিত বিলীন হ'ব খোজা, একালৰ প্ৰসিদ্ধ-লেখক আৰু অনেক এতিয়াও এই বিষয়ত সমাদৃত হ'বলৈ বাকী; যেনে — পুৰাতাত্ত্বিক সোণাৰাম চৌধুৰী, আভিধানিক হেমচন্দ্ৰ বৰুৱা, পানীন্দ্ৰনাথ গগৈ, ধনাই বৰা, বলদেৱ মহন্ত, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, লম্বোদৰ বৰা আদি অনেক। ৰচনাৱলীৰ জোখাখে একেজনাৰে যথেষ্ট সাহিত্য-সম্ভাৰ নাথাকিলে সমসাময়িক কেইবাগৰাকীৰো ৰচনা একত্ৰিত কৰিও গ্ৰন্থাৱলী প্ৰস্তুত কৰা যায়।

অভিধান

'হেমকোষ'ৰ পিছত 'চন্দ্ৰকান্ত অভিধান' ওলাল যদিও সি 'হেমকোষ'ৰ ৰূপান্তৰ মাত্ৰ। কোনো কোনো ঠাইত সি 'হেমকোষ'ৰো ওচৰ চপা নাই। উদাহৰণ স্বৰূপে 'মাতোৱাল' শব্দত ক'লে 'মতোৱাল' চোৱা; 'মতোৱাল'ত ক'লে 'মতলীয়া' চোৱা ঃ 'মতলীয়া' অভিধানতে নাই। 'হেমকোষ'ত 'মাতোৱাল' নাই; 'মতোৱাল' আৰু 'মতলীয়া' আছে।

শব্দৰ যথাসম্ভৱ ব্যুৎপত্তি, প্ৰয়োগ, ঐতিহাসিক বিৱৰ্তন আদি থকা উজনি-নামনিৰ ব্যাপকভাবে প্ৰচলিত শব্দ-সম্ভাৰেৰে পৰিপূৰ্ণ অসমীয়া ভাষাৰ পূৰ্ণাংগ অভিধান এখনৰ অভাৱ আজি বহুদিনৰপৰা সকলোৱে অনুভৱ কৰি আছে। 'চন্দ্ৰকান্ত' অভিধানৰ তৃতীয় সংস্কৰণ বিশেষজ্ঞসকলৰ তত্ত্বাৱধানত নতুন ৰূপত পূৰ্ণাংগ হৈ ওলাব বুলি আজি বহুদিন ধৰি শুনি আছোঁ। সি প্ৰকৃততে কি ৰূপ ধৰি ওলায় দেখিলেহে লেখিব পৰা যাব। প্ৰকাশন পৰিষদৰ ১৯৭৭ চনত প্ৰকাশিত 'আধুনিক অভিধান'খনো আশানুৰূপ নহ'ল। তাৰে উন্নত সংস্কৰণৰ যো-জা চলি আছে বুলি শুনি আশ্বস্ত হৈছোঁ।

প্ৰাসংগিকভাবে উল্লেখ কৰা যায় যে অসমীয়া ভাষাৰ খনচেৰেক আঞ্চলিক শব্দকোষৰো প্ৰয়োজন হৈছে। কামৰূপ জিলা পৰিষদে তেনে এটা আঁচনি জিলা পৰিষদৰ ভিত্তিত গ্ৰহণ কৰিছে আৰু তাৰ কাম আৰম্ভ হৈছে বুলি শুনিছোঁ। তেনেকৈ প্ৰত্যেক জিলা পৰিষদতে আঁচনি লৈ চন্দ্ৰকান্ত অভিধানত নথকা ব্যৱহাৰী শব্দৰোৰ গোটাই আঞ্চলিক ভিত্তিত একোখন শব্দকোষ ৰচনাৰ কাম হাতত লোৱা উচিত হ'ব যুলি আমি ভাবোঁ। তাকে কৰিলে পিছত তেনেকৈ সংগৃহীত হোৱা বিভিন্ন অঞ্চলৰ শব্দ-সম্ভাৰ গোটাই লৈ সেইৰোৰৰ সম্ভাব্য ব্যুৎপত্তি, প্ৰয়োগ, ইতিহাস আদি বিচাৰ কৰি উপযুক্তখিনিক মান্য ভাষাৰ অভিধানত গ্ৰহণ কৰিবলৈ সুবিধা ওলাব। আজিৰ দিনত পূৰ্ণাংগ অভিধান ৰচনা এজন লোকৰ কাম নহয়।

বৈষ্ণৱ-যুগীয় সাহিত্যৰ পুৰণি শব্দৰ অভিধান এখনো আমাক লাগে। সেই বিষয়েও চিন্তা কৰিবৰ সময় হৈছে।

ধৰ্মীয় সাহিত্যৰ প্ৰকাশন

এতিয়ালৈকে প্ৰকাশ পোৱা পুৰণি ধৰ্মীয় সাহিত্যৰ ভিতৰত দুই খণ্ডত বিভক্ত 'অষ্টাদশ পৰ্ব অসমীয়া মহাভাৰত', শ্ৰীমন্ত শঙ্কৰৰ সমস্ত ৰচনাৱলীৰে 'শঙ্কৰ ব্যাক্যামৃত', 'চিত্ৰ ভাগৱত' আৰু দ্বাদশ স্কন্ধ সম্পূৰ্ণ অসমীয়া 'শ্ৰীমদ্ভাগৱৎ' অসমীয়া সাহিত্যৰ কীৰ্তিস্তম্ভ। নানা ঠাইৰপৰা সাঁচিপতীয়া পুথি বিচাৰি-খোচাৰি আনি বিশেষ কষ্ট আৰু বিপুল অৰ্থব্যয়েৰে এই গ্ৰন্থকেইখন ছপাই উলিয়াই স্বৰ্গীয় হৰিনাৰায়ণ দত্ত বৰুৱাই ভাষাজননীৰ উদ্দেশ্যে যি অপূৰ্ব সেৱা আগবঢ়ালে তাৰ তুলনা নাই। 'ব্যাসাশ্ৰম', সম্পূৰ্ণ 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, 'সুকনাসী', 'হৰ-গৌৰী সংবাদ' আদি আৰু অনেক মূল্যবান পুথি এতিয়াও প্ৰকাশৰ কাৰণে ৰৈ আছে। স্বৰ্গীয় দত্ত বৰুৱাৰ আদৰ্শ অনুসৰণ কৰি ভাষা-জননীৰ পূজাৰ বেদীলৈ নৈবেদ্য আগবঢ়াবলৈ আৰু জনচেৰেক উদাৰমনা প্ৰকাশক ওলাব বুলি আমি আশা কৰিছোঁ।

বিশ্ববিদ্যালয়ত লিপিবিজ্ঞান প্ৰশিক্ষণ

অসমৰ হাবিয়ে-বনে, পৰ্বতে-প্ৰান্তৰে, বাৰীয়ে-ঘৰে অলেখ শিলা-লিপি, তাম্ৰশাসন আদি আবিষ্কৃত হৈছে। সেইৰোৰৰ সঠিক পাঠোদ্ধাৰ দূৰৈৰ কথা পুৰণি সাঁচিপতীয়া পুথিৰ আখৰ পঢ়াটোৱে আজিৰ পাঠকৰ কাৰণে সমস্যা হৈ পৰিছে। ফলত 'অবকৃপা কুৰু' খুচি 'অবহ পাকক' হয়। লিপিজ্ঞান নথকা কাৰণে ভিন্নতী ভাষাত থকা বৌদ্ধ দোহাৱলীৰ প্ৰকৃত পাঠ অসমীয়া পাঠকে মূলৰপৰা আজিকোপতি ল'ব পৰা নাই, আৰু তাৰ কাৰণে মূল দোহাৱলী বিচাৰিবলৈও চেষ্টা কৰা নাই। এনেমূলত

অসমৰ বিশ্ববিদ্যালয় দুখনৰ কোনোবা এটা স্তৰত লিপিজ্ঞান প্ৰশিক্ষণক অসমীয়া সাহিত্যৰে এটা অংগ হিচাপে লৈ সেই বিষয়ত প্ৰশিক্ষণ দিয়া হিতকৰ হ'ব বুলি আমি ভাবোঁ।

অসম, অসমীয়া আৰু অসম সাহিত্য সভা

অসম কোনো এক বিশেষ জনগোষ্ঠীৰ খিলঞ্জীয়া বাসস্থান নহয়। অসম নামটোও তেনেকৈ ২।৩ শ বছৰতকৈ পুৰণি নহয়। আন নালাগে শঙ্কৰদেৱৰ দিনতে এই নাম নাছিল। অসমীয়া ভাষা বোলা ভাষাও নাছিল। সেই বুলি এই দেশো নাছিল, এই ভাষাও নাছিল এনেও নহয়; দুয়োটাই আছিল; মাত্ৰ নাম আছিল পৃথক। পিছে যি নামেই নাথাকক সেই দেশলৈ যিয়ে আহিছিল সিয়ে কিন্তু ইয়াৰ গুণত মুগ্ধ হৈ ইয়াতে বৈ গৈছিল। সেয়েহে ই অসুৰ, কিৰাট, অষ্ট্ৰিক, বড়ো, আৰ্য্য, অনাৰ্য্য, জনজাতীয় আদি নানা গোষ্ঠী, নানা জাতি-উপজাতিৰ লোকৰ উমৈহতীয়া বাসভূমি হৈ আহিছে। এয়ে অসম দেশ। ইয়াত থাকি ইয়াৰ আদিবাসীসকলৰ লগত এক হৈ আপোন জীৱন-প্ৰবাহ সিহঁতৰ জীৱন-প্ৰবাহৰ লগত যিয়ে মিলাই দিছে তেৱেঁ ইয়াত ভাবে-ভাষাই জীণ গৈছে, তেৱেঁ ইয়াৰ লোক বুলি পৰিগণিত হৈছে; তেৱেঁ অসমীয়া লোক। ইয়াত যিটো ভাষা সকলোৰে বুজে আৰু যিটো পৰস্পৰৰ ভাব প্ৰকাশৰ বাহন হৈ পৰিছে সেয়ে অসমীয়া ভাষা। এই ভাষাৰ যি সাহিত্য সেয়ে অসমীয়া সাহিত্য। সেয়েহে পৰ্বত-ভৈয়াম, চৰ-হাবি-বন সকলোতে নিগাজীকৈ বাস কৰা অসম ভূমিখণ্ডৰ লোকেই অসমীয়া। আহোমসকলে তেওঁলোকৰ টাই ভাষা এৰি দি ইয়াৰ ভাষা ল'লে। আৰ্য্যসকলে সংস্কৃত ভাষা এৰি দি ইয়াৰ ভাষা ল'লে। সেইদৰে অসমত বাস কৰা বিভিন্ন জাতি-উপজাতিয়েও নিজৰ কথিত ভাষা থকা সত্ত্বেও ইয়াৰ ভাষা আদৰি ল'লে। এই ভাষাৰ মূল জঁকাটো সংস্কৃত যদিও অসমত বসবাস কৰা বিভিন্ন জাতি-প্ৰজাতিৰ ভাষাৰ শব্দৰাজিয়ে ইয়াক সমৃদ্ধ কৰি তুলিছে। 'সকলোৰে কিঞ্চিৎ কিঞ্চিৎ তেহে এটাৰ সমুচিত' বোলা কথা ইয়াত খাটিচে। সকলো দেৱতাৰ তেজ আৰু শক্তি গ্ৰহণ কৰি হেনো শাৰদীয় দুৰ্গাপূজাৰ মহামায়া ভগৱতী আবিৰ্ভূতা হৈছিল। কবি-কল্পনাত তিলতিলকৈ সকলো উপমা দ্ৰব্যৰ সাৰ সংগ্ৰহ কৰি হেনো বিধাতাই নাৰী-সৌন্দৰ্যৰ প্ৰতীক তিলোত্তমাৰ সৃষ্টি কৰিছিল। কালিদাসৰ উমাৰো জন্ম তেনেকৈয়ে হৈছিল। অসমীয়া ভাষাটোকো তেনেকৈ আহোম টাই শব্দ, বড়োই বড়ো শব্দ, খাছীয়াই খাছী শব্দ, মুছলমানে আৰবী-ফাৰ্চী শব্দ, ইংৰাজে ইংৰাজী শব্দ আৰু আনকি চাওতাল, মুণ্ডা আদিসকলেও নিজ নিজ কথিত ভাষাৰ শব্দসম্ভাৰ দি গঢ়ি তুলিছে। ই সকলোৰে উমৈহতীয়া সম্পত্তি ঃ এজমালি পট্টাৰ জমি।

সেইদৰে অসম সাহিত্য সভাও কেৱল অসমীয়া ভাষা-ভাষীৰে একচেটিয়া অনুষ্ঠান নহয়; অসমক প্ৰাণভৰি ভাল পাই, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাৱান হৈ, অসমত স্থায়ীভাৱে বসবাস কৰা সকলো লোকৰে ই উমৈহতীয়া অনুষ্ঠান। সেয়েহে ই অসমীয়া সাহিত্য সভা নহৈ অসম সাহিত্য সভা। অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতি সাধনেই ইয়াৰ ঘাই উদ্দেশ্য।

মহাপুৰুষ শঙ্কৰদেৱকে অসমীয়া ভাষা, সংস্কৃতি আৰু সাহিত্যৰ পিতৃস্বৰূপ আৰু অসমীয়া জাতীয় জীৱনৰ প্ৰতীক বুলি ধৰা হয়; কিন্তু তেওঁৰে উপৰি পুৰুষসকল আছিল কনৌজৰ লোক। একালত তেওঁলোকে অসমীয়া নাজানিছিল, নকৈছিল। মাধৱদেৱৰ পিতৃ গোবিন্দাগিৰীও আছিছিল আজিকালিৰ বাংলাদেশৰ বাগুকা নামৰ ঠাইৰপৰা। তেওঁৰো সেই একে কথাই আছিল। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, অম্বিকাগিৰী ৰায়চৌধুৰী, নলিনীবালা দেৱী— এই সকলোৰে শুৰি-শিপা বিচাৰিলে অসমত পোৱা নাযাব। এয়ে অসম দেশ; এনেকুৱাই ইয়াৰ বিচিত্ৰ গুণ। ইয়াত সকলোৰে — 'দিবে আৰ নিবে, মিলাবে মিলিবে, যাবেনা ফিৰে।' সংমিশ্ৰণ আৰু সংহতিয়ে অসমীয়াৰ জাতীয় জীৱনৰ মূল মন্ত্ৰ। অনৈক্যৰ মাজৰ ঐক্যই অসমৰ বিশেষত্ব। অসম ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ।

সাহিত্য সভাৰ গণমুখী প্ৰভাৱ

বহুতে কয় অসম সাহিত্য সভা সাহিত্যিকৰ সভা নহয়ঃ ই এখন মেলা আৰু দিনক দিনে ই অধিকতৰ মেলামুখী হৈ আহিব লাগিছে। কিছু পৰিমাণে কথাটো সঁচা; কিন্তু তেনে মেলাৰো জানো প্ৰয়োজন নাই? সাহিত্যিক হৈ জনচেৰেক সমভাৱাপন্ন লোকৰ গোষ্ঠী এটাত সোমাই কূপ-মণ্ডুক হৈ থাকিলে জানো চলে? সকলো মানুহেই কম-বেচি পৰিমাণে সাহিত্যিক বা সাহিত্যমোদী; আৰু জনসংসৰ্গ ত্যাগ কৰি সাহিত্য জীয়াই থাকিব নোৱাৰে। গতিকে সাহিত্য সভা মেলামুখী নহৈ গণমুখী বা

জনমুখীহে হৈছে। সাহিত্যৰ নামত এনে জন-জাগৰণ আৰু লোক সংগ্ৰহে আবেগিক সংহতিৰ সেতু নিৰ্মাণ কৰে। সেই হেতুকে সাহিত্য সভা আপোনা আপুনিয়ে অসমীয়াৰ এটা জাতীয় উৎসৱলৈ ৰূপান্তৰিত হৈছে। এই উৎসৱৰ লগতে পতা প্ৰদৰ্শনীখন হৈ পৰিছে জনশিক্ষাৰ একপ্ৰকাৰ মাধ্যম আৰু পুথি-বিক্ৰী আৰু প্ৰচাৰৰ ক্ষণস্থায়ী কেন্দ্ৰ ১৯৬০ চনত প্ৰথমবাৰৰ কাৰণে সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন নগৰ এৰি গাঁৱত সোমায়ঃ পলাশবাৰী-মিৰ্জাত বহে। সাহিত্য সভাৰ বুৰঞ্জীত ই এক নতুন কথা, নতুন অভিলেষ। সভাই গাঁৱলৈ গতি কৰাৰ লগে লগে ইয়াৰ ৰূপ গণমুখী হ'বলৈ ধৰে।

লেখক-শিবিৰ

এইটো সঁচা যে সাহিত্যিকসকলক চিন্তা-চৰ্চা আৰু আলাপ-আলোচনাৰ কাৰণে সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনে উপযুক্ত পৰিবেশৰ যোগান নধৰে; ইয়াৰ উৎসৱমুখৰ পৰিবেশে আবেগিক মিলন আৰু সংহতিৰহে মাথো সুযোগ দিয়ে। তেনে আলাপ-আলোচনাৰ বাবে সেইদেখি পৃথকে সাহিত্য সভাৰ পৰিপূৰক হিচাপে 'লেখক-শিবিৰ' নামৰ সত্ৰানুষ্ঠান এটিৰ সৃষ্টি হৈছে। গীতাত স্বয়ংম ভগৱানে 'প্ৰয়োজন মতে মই নিজেই নিজক সৃজন কৰোঁ' বোলাৰ দৰে লেখক-শিবিৰবো সৃষ্টি স্বয়ং প্ৰয়োজনসম্ভূত। ভাৰৰ পৰস্পৰ আদান-প্ৰদান আৰু তাৰ জৰিয়তে ভাষা-সংস্কৃতি-সাহিত্যৰ অগ্ৰগতিৰ পথত সম্ভৱ হোৱা সমস্যাবোৰৰ সম্যক সমাধানৰ কাৰণে ই এক উৎকৃষ্ট মঞ্চ। ১৯৭৩ চনত জন্ম লাভ কৰি ই ক্ৰমবিকাশৰ পথত আগবাঢ়িছে।

লেখক শিবিৰৰ স্থান সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনতে আনুষ্ঠানক্ৰমে স্থিৰ হোৱা উচিত। আলোচ্য বিষয় আৰু সময় পিছত স্থিৰ কৰিব পৰা যায়। এনে বৈঠক বিভিন্ন অঞ্চলত শান্ত সুস্থিৰ পৰিবেশত পাতিব পাৰিলে দুটা উদ্দেশ্য সিদ্ধি হয় ঃ

(১) গ্ৰামাঞ্চলত সাহিত্য-চৰ্চাৰ অনুকূল পৰিবেশ এটাৰ সৃষ্টি আৰু

(২) জনজীৱনৰ লগত সাহিত্যিকৰ অন্তৰংগ সম্বন্ধ স্থাপন।

পাঠ্য-পুথি, আখৰ-জোঁটনি আৰু ব্যাকৰণ

পাঠ্য-পুথিৰ নিৰ্বাচন আৰু ৰচনাৰ সময়ত পঠিতব্য বিষয় আৰু তাৰ ভাষাৰ ওপৰত বিশেষ মনোযোগ দিয়াৰ প্ৰয়োজন। তাৰ ৰচনা হ'ব লাগে খাঁটি জতুৱা ঠাঁচত লিখা, আৰু (পাঠ্য-পুথি, আখৰ-জোঁটনি আৰু ব্যাকৰণ বিষয়বস্তু জাতীয় সংহতিৰ সহায়ক। অসমৰ পাঠ্য-পুথিত ৰবীন্দ্ৰনাথ, আব্ৰাহাম লিংকন, নানক, যীশুখৃষ্ট, স্বামী বিবেকানন্দ, হজৰত মহম্মদ আদি মহৎ লোকৰ জীৱনী সন্নিবিষ্ট হোৱা যুগুত। তেনেকৈ আকৌ বঙলা, উৰিয়া, হিন্দী আদি প্ৰাদেশিক ভাষাৰ পাঠ্য-পুথিত শঙ্কৰদেৱ, লাচিত বৰফুকন, ৰজা নৰনাৰায়ণ আদি প্ৰথিতযশা লোকসকলৰ জীৱনৰ আদৰ্শ কাৰ্যাৱলীৰ কিছু আভাস থকা উচিত। ভাৰতৰ সাহিত্য, ইতিহাস, সংগীত-সংস্কৃতি সকলোতে হিন্দু-মুছলমান-শিখ-জৈন-আৰ্য্য-অনাৰ্য্য-জনজাতি সকলোৰে ঐতিহ্যৰ অলপ নহয় অলপ লিপিত খাই আছে। সেই ঐক্য আৰু সংহতিৰ বীজ শিক্ষাৰ্থীৰ মনত পৰ্যায়ক্ৰমে ৰোপণ কৰা পাঠ্য-পুথিৰ এটা অপৰিহাৰ্য্য কৰ্তব্য।

পাঠ্য-পুথি সৰ্বতোভাবে নিৰ্ভুল হোৱা বাঞ্ছনীয়। পাঠ্য-পুথিৰ ভুলে শিক্ষাৰ্থীৰ মাজত অমৃতৰ ঠাইত গৰল পৰিবেশন কৰে। মনত ৰখা ভাল যে— ভাষাৰ ভুল সোঁচৰা ব্যাধি; আলোচনী, বাতৰি কাকত, আকাশবাণী আৰু পাঠ্য-পুথিৰ ভুল মাৰাত্মক।

আখৰ-জোঁটনিৰ সমস্যা দিনক দিনে জটিলৰ পৰা জটিলতৰ হৈ আহিব লাগিছে। ১৯৭০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্য-পুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে এই সমস্যাৰ সমাধানৰ কাৰণে চেষ্টা কৰিছিল আৰু 'অসমীয়া আখৰ-জোঁটনি আৰু লিপ্যন্তৰ পদ্ধতি' নামৰ পুস্তিকা এখনত কিছুমান বিষয়ৰ সিদ্ধান্ত দিছিল। ১৯৭৮ চনৰ অক্টোবৰ মাহত পাঠশালাত বহা লেখক-শিবিৰবো আলচ্য বিষয় আখৰ-জোঁটানিয়ে আছিল। জানিব পৰা গৈছে যে আলোচনাত উত্থাপিত হোৱা প্ৰশ্ন আৰু বিভিন্ন যুক্তিনিষ্ঠ মতসমূহ অসম সাহিত্য সভা, প্ৰকাশ পৰিষদ, পাঠ্য-পুথি নিগম আৰু অসমৰ দুয়োটা বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিসকলে বহি চাৰি-জাৰি চাই চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব খুজিছে। এইটোকে আমিও উত্তম উপায় বুলি ভাবিছোঁ। পিছে, এই সিদ্ধান্তবোৰ যাতে বাতৰি কাকত আৰু আলোচনীবোৰে মানি চলে সেই বিষয়েহে অধিক তত্ত্বাৱধান লোৱা উচিত। তাকে নকৰিলে বিশেষজ্ঞৰ আখৰ-জোঁটনি প্ৰস্তাৱতে পৰি ৰব, বাতৰি কাকতৰ বাননহে সৰ্ব-সাধাৰণৰ মাজত নিৰ্বিবাদে চলি থাকিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে সম্প্ৰতি এখন বাতৰি কাকতে (নাগৰিক) 'শুদ্ধ আৰু অশুদ্ধ' শিতানত ভাষাৰ কিছুমান ভুল ব্যৱহাৰলৈ মাজে-সময়ে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিব ধৰিলে। অইন বাতৰি কাকত আৰু আলোচনীতো সময়ে-

সময়ে তেনে আলচ প্রকাশ হ'লে যথেষ্ট সুফল পোৱা যাব বুলি আশা কৰা যায়।

আখৰ জোঁটনিৰ সমস্যা প্রকৃততে ব্যাকৰণৰ সমস্যাৰ এটা অংগহে। অসমীয়া অভিধানৰ দৰে অসমীয়া ব্যাকৰণো বৃটিছ যুগৰ সৃষ্টি। হেমচন্দ্র বৰুৱা, সত্যনাথ বৰা, ডঃ বাণীকান্ত কাকতি, পণ্ডিত কালিৰাম মেধি আদি বৈয়াকৰণিসকলে নিজ নিজ গ্রন্থত অসমীয়া ব্যাকৰণৰ বিভিন্ন দিশ আলোচনা কৰিছে। ১৯৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সংস্থায়ো 'অসমীয়া ব্যাকৰণৰ সমস্যা আৰু শিক্ষণ' সম্পর্কে দুদিনীয়া আলোচনা চক্র পাতিছিল। এনে ধৰণৰ আলোচনা মাজে মাজে চলি থকা উচিত।

ব্যাকৰণৰ মূল কথাৰ বর্ণসংকোচন, বর্ণপৰিৱর্তন, আখৰ-জোঁটনি আদি বিষয়ত প্রয়োজনমতে বিকল্পৰ ব্যৱস্থা ৰাখি সন্তর্পণে শনৈঃ শনৈঃ অগ্রসৰ হোৱাটোৱে বিধেয় বুলি আমি ভাবোঁ।

লেখক সমবায় ঃ

পাঠ্য-পুথি নিগমে পঢ়াশলীয়া পাঠ্য-প্রকাশনৰ দায়িত্ব গ্রহণ কৰাৰ লগে লগে পুস্তক-বিক্রেতা প্রকাশসকলে সম্প্রতি অন্যান্য পুথি-প্রকাশ একৰকম এৰি দিয়া দেখা গৈছে। ফলত অসমীয়া পুথি-প্রকাশ বন্ধ হোৱাৰ দৰে হৈছে। ১৯৭৭-৭৮ চনত ভাৰতবর্ষত প্রায় কুৰি হাজাৰখন পুথি ছপা হৈছিল আৰু তাৰ ভিতৰত অসমীয়া ডেৰশখনো নহয়। এই পৰিস্থিতিত লেখকসকলে সমবায় ভিত্তিত প্রকাশনৰ আঁচনি লোৱাত বাহিৰে গত্যন্তৰ নাই। কেৰালাত এনে সমবায়ে উন্নতি কৰি লেখকক শতকৰা ত্রিশভাগ পর্য্যন্ত 'ৰয়েলটি' দিবলৈ সমর্থ হৈছে বুলি শুনা গৈছে। উদ্যোগী নবীন-প্রবীণ লেখকসকলক এই বিষয়ৰ কার্যকাৰিতা সম্পর্কে চিন্তা কৰিবলৈ সকীয়াই দিয়া হ'ল।

সাহিত্য সভাৰ পুথিভঁৰাল, ছপাশাল আৰু বার্ষিক গ্রন্থপঞ্জী ঃ

বহুবটোত অসমীয়া সাহিত্যত কি কি বিষয়ৰৰ, কি কি নামৰ কিমান কিতাপ ওলাল তাৰ হিচাপ কোনেও নাপায়। সাহিত্য সভাৰ ফালৰপৰা সেই হিচাপ ৰখাৰ আৰু সাহিত্য সভাৰ বার্ষিক অধিবেশনৰ সময়ত 'পত্রিকা'ত বা পৃথকে তাৰ তালিকা প্রকাশ কৰাৰ ব্যৱস্থা হোৱা উচিত। তাৰ বাবে সাহিত্য সভাৰ মূল কার্যালয়লৈ প্রকাশনৰ লগে লগে দুখনকৈ কিতাপ প্রধান সম্পাদকৰ নামত পঠোৱাৰ ব্যৱস্থা কৰিবলৈ গ্রন্থকাৰ আৰু প্রকাশকসকলক অনুৰোধ কৰা হ'ল। কার্যপালিকাই এনে পুস্তক প্রেৰণৰ অন্ততঃ ডাক-খৰচ ফেৰা বহন কৰাৰ বিষয়ে বিবেচনা কৰিলে ফল আশাপ্রদ হ'ব বুলি ভাবোঁ।

সাহিত্য সভাৰ দুয়েটা কার্যালয়ৰ নিজা পুথি-ভঁড়াল আৰু অভিলেখাগাৰ (Archives) তথা উচিত। পুথি-ভঁড়ালত সাহিত্য সভাৰ প্রকাশিত গ্রন্থসমূহ আৰু 'সাহিত্য সভা পত্রিকা'ৰ বন্ধোৱা বার্ষিক সংকলনবোৰ সযতনে ৰখাৰ উপৰি পুৰণি কিতাপ, বিশেষকৈ দুষ্প্রাপ্য গ্রন্থবোৰ সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব লাগে। অভিলেখাগাৰত সাঁচিপতীয়া পুথি আৰু অন্যান্য পুৰণি ঐতিহ্যপূর্ণ আচবাব ৰখা যায়। আনন্দৰ কথা " ৰঘুনাথ চৌধাৰী," উমেশচন্দ্র চৌধাৰী," অম্বিকাগিৰী ৰায়চৌধুৰী আৰু " নীলমণি ফুকনৰ নিজস্ব পুথি-ভঁড়ালৰ সংগৃহীত গ্রন্থৰাজি ইতিমধ্যে সভাৰ পুথি-ভঁৰাললৈ দানৰূপে পোৱা গৈছে। আমি তেখেতসকলৰ উত্তৰাধিকাৰীসকলৰ বদান্যতাৰ শলাগ লওঁ।

দুষ্প্রাপ্য মূলবান গ্রন্থ আৰু সাঁচিপতীয়া পুৰণি পুথি-মালিকসকলে হস্তান্তৰ কৰিব নোখোজে। সেইবোৰৰ নকল ল'ৰৰ কাৰণে আজিকালি মাইক্রোফিল্ম, ফটোষ্টেট, মাইক্রোফিচ, মাইক্রো কার্ড, মেগনেটিক টে'প প্রভৃতি যন্ত্র ওলাইছে। এনে যন্ত্র অসম সাহিত্য সভা, বাজ্যিক পুথিভঁৰাল, পুৰাতত্ত্ব আৰু বুৰঞ্জী বিভাগ, কামৰূপ অনুসন্ধান সমিতি আদিত ৰখাৰ প্রয়োজন। জাতীয় সম্পদ উদ্ধাৰ আৰু সংৰক্ষণৰ হকে জাতীয় চৰকাৰে ইয়াৰ বিত্তীয় দায়িত্ব গ্রহণ কৰিবলৈ হেলা নকৰিব বুলি আমাৰ বিশ্বাস।

অসম সাহিত্য সভাৰ নিজা ভগীয়াকৈ এটা ছপাশাল থকাবো নিতান্ত প্রয়োজন। ইয়াবো সুব্যৱস্থা শীঘ্রে হোৱা উচিত।

আৰুণাচল- মিজোৰাম- মেঘালয় আৰু নাগালেণ্ড ঃ

অসমৰ পার্বত্য অঞ্চলত ১৮৮৩ চনত প্রবর্তন কৰা ইনাৰ লাইন ৰেগুলেচনৰ ফলত পোনতে পর্বতবাসী ভাইসকল অসমৰ ভৈয়ামবাসীসকলৰ পৰা পৃথকা হ'ল। তাৰ পিছত স্বৰাজোত্তৰ যুগত অসমৰ উত্তৰ-পূব সীমান্ত ভূভাগৰ পাঁচখন জিলা কাটি নি প্রথমে নেফা, পিছত অৰুণাচল সৃষ্টি কৰা হ'ল। যি বাকী আছিল তাৰ পৰা আকৌ তিনি টুকুৰা কাটি লৈ খাছীয়া-জয়ন্তীয়া আৰু

গাৰো-পৰ্বতেৰে মেঘালয়, নগা পৰ্বতক লৈ নগালেণ্ড আৰু লুচাই পৰ্বতক লৈ মিজোৰাম নাম দি কেন্দ্ৰীয় চৰকাৰে মুঠতে চাৰিখন পৃথক ৰাজ্যৰ সৃষ্টি কৰিলে। সংশ্লিষ্ট জনজাতীয় ভাইসকলৰ উন্নতি আৰু আত্মবিকাশকে এই বিভাজনৰ উদ্দেশ্য বুলি ঘোষণা কৰা হৈছে। সেইদেখি আমাৰো তাত অকৃত্রিম শুভেচ্ছা আছে। কিন্তু আমি আশা ৰাখিছোঁ, কৃষ্টি-সংস্কৃতিৰ এনাজৰীৰে যুগ যুগ ধৰি বান্ধ খাই থকা আমাৰ এই বঙহখিনি ভৌগোলিকভাৱে বিচ্ছিন্ন হৈছে যদিও তেওঁলোক আমাৰ কাৰণে 'আছে মিতিৰ থাকক দূৰত, তাক পাম নিদান কালত' হৈ থাকিব। 'মিতিৰে মিতিৰে খায়, ধাৰ শুজা যায়' আৰু মিতিৰৰ আহ-যাহ, জন্তুৰ চেলেকা-চেলেকি।' গতিকে আমাৰ আশা, এতিয়াও আমাৰ মাজত কৃষ্টি-সংস্কৃতিৰ পৰম্পৰা মিলন আৰু বিনিময় চলি থাকিব আৰু সেয়ে হ'ব আমাৰ জাতীয় সংহতিৰ মূল যোগ-সূত্ৰ।

জনসাহিত্য আৰু জনসংস্কৃতিৰ ফালেদি জনজাতীয় ভাইসকল অসমীয়াৰ লগাভগা। তেওঁলোকৰ অনেক প্ৰবচন, অনেক সাধুকথা আমাৰ লগত তেনেই মিলি যায়। উদাহৰণ নিষ্প্ৰয়োজন।

কাৰবি ৰামায়ণ ছাবিন আলুন :

ৰামায়ণৰ দৰে ধৰ্ম-গ্ৰন্থৰ প্ৰভাৱো জনজাতীয় জীৱনত পৰা দেখা গৈছে। ইয়াৰ উজ্জ্বল নিদৰ্শন কাৰ্বি ৰামায়ণ। কাৰ্বি ভাষাত লিখা এই ৰামায়ণৰ নাম ছাবিন আলুন বা ছাবিনৰ গীত। ছাবিন কোন আছিল জনা নাযায়। এই ৰামায়ণ মুখে মুখে চলি অহা কিছুমান গীতৰ সমষ্টি। গীতবোৰ কাৰ্বিসকলৰ পূজা-পাটল থকা ধৰ্মীয় অনুষ্ঠানত গোৱা হয়। উল্লেখযোগ্য এই যে এজন লোকে জীৱনত তিনিবাৰতকৈ বেছি এই গীতবোৰ গোৱা নিষেধ। এনে নিষিদ্ধ পৰম্পৰাৰ হেতুকে গীতবোৰ দুষ্প্ৰাপ্য হৈছে। ইয়াৰ মূল আখ্যান ৰামায়ণৰ আখ্যানৰ লগত মিলে যদিও কাৰবিসকলৰ চিন্তাধাৰা আৰু সমাজ-ব্যৱস্থাৰ লগত খাপ খোৱাকৈ ই অ'ত-ত'ত নতুন ৰূপ পৰিগ্ৰহ কৰিছে। ইয়াৰ মতে ৰাৱণৰ মূল ৰাৱটা; মেঘনাদ ৰাৱণৰ ভায়েক; সীতা ম'ৰা চৰাইৰ কণীৰপৰা এটা খালৈত উপজিছিল; সীতাৰ মাক আছিল জনক ৰজাৰ পত্নী হেম্‌ফি বসুমতী; ৰাৱণৰ জীউটো শোৱনী কোঠাৰ খুটা এটাৰ খোৱোঙত লুকাই থোৱা আছিল, হনুমানে তাক বিচাৰি উলিয়াইছিল—ইত্যাদি।

১৯৭৬ চনত ডিফু সাহিত্য সভাৰ সদস্যসকলৰ যত্নত, বিশেষকৈ অধ্যাপক ৰংবং তেৰন, শ্ৰীপ্ৰেমকান্ত মহন্ত আৰু শ্ৰীজয়চিং দলৈৰ আশাশুধীয়া চেষ্টাত গীতবোৰৰ সংগ্ৰহ, সম্পাদন আৰু প্ৰকাশন সম্ভৱ হৈছে। তেওঁলোক সদৌটি আমাৰ সকলোৰে শলাগৰ পাত্ৰ।

ৰামায়ণ-মহাভাৰতৰ এনে গীত-মাত অইন জনজাতীয় ভাষাতো চলি থাকিব পাৰে আৰু এই বিষয় অনুসন্ধানৰ থল আছে। এইখিনিতে প্ৰাসঙ্গিকভাৱে এই কথাও উল্লেখ কৰা যায় যে ৫ জানুৱাৰী তাৰিখে নগালেণ্ড সীমান্তৰ ভিতৰৰপৰা অহা কিছুমান সশস্ত্ৰ দুৰ্বৃত্তই অসম-নগালেণ্ড সীমান্তৰ অসমৰ মাটিত বাস কৰা অলেখ নিৰীহ কৃষকৰ ঘৰ-দুৱাৰ জ্বলাই, অসংখ্য নিৰীহ লোকক নৃশংসভাৱে হত্যা কৰি যি ঘৃণনীয় পৰিস্থিতিৰ সৃষ্টি কৰিলে তাক আমি তীব্ৰ গৰিহণা দিওঁ আৰু এই ঘটনাক উভয় ৰাজ্যৰ মাজত উপস্থিত হোৱা এটা দুৰ্ভাগ্যজনক ঘটনা বুলি গণ্য কৰোঁ। সংশ্লিষ্ট চৰকাৰে অচিৰে ইয়াৰ মূলীভূত কাৰণ উদঘাটন কৰি দোষীক সমুচিত দণ্ড বিহিব লাগে আৰু জনসাধাৰণক জীৱন আৰু সা-সম্পত্তিৰ সম্পূৰ্ণ নিৰাপত্তা দান কৰি স্থায়ী শান্তি আৰু সম্প্ৰীতি পুনঃ প্ৰবৰ্তন কৰিব লাগে। মিলাপ্ৰীতিৰ মাজেদি অতি সোনকালে আমাৰ আন্তঃৰাজ্যিক সকলো সীমা-বিবাদৰ নিষ্পত্তি হওক আৰু সীমা-বিবাদ যাতে কোনো ক্ষেত্ৰতে ৰাজ্যৰ শান্তি আৰু উন্নতিৰ অন্তৰায় হ'ব'লৈ নাপায় চৰকাৰে তাৰে ব্যৱস্থা লওক—তাকে আমি বিচাৰোঁ।

ভাষিক মাধ্যম আৰু জনজাতীয় ভাষা :

স্মৰণাতীত কালৰপৰা অসমীয়া ভাষায়ে অসমৰ আৰু অসমৰ দাঁতি-কাষৰীয়া লোকসকলৰ ভাব প্ৰকাশৰ একমাত্ৰ মাধ্যমৰূপে কাম কৰি আহিছে। যিসকলৰ নিজা মাতৃভাষা বা উপভাষা আছে তেওঁলোকে মাধ্যমেদি শিক্ষা লাভ কৰাৰ সুযোগ পাইছে। সেই সুযোগ সকলোৰে মৌলিক অধিকাৰ। উচ্চ শিক্ষা লাভৰ বাবে তেওঁলোকে আঞ্চলিক ভাষা অসমীয়া শিক্ষা নিতান্ত বাঞ্ছনীয়। তাকে কৰিলে তেওঁলোকৰ জীৱন ধাৰণৰ যাবতীয় কাম-কাজ সুচল হোৱাৰ লগতে অসমৰ জনজীৱনৰ ঘাই সুঁতিটোৰ লগতো প্ৰীতি আৰু মিলনৰ সম্বন্ধ বক্ষা কৰি চলিবলৈ সুবিধা হ'ব। অসমীয়াভাষী লোকসকলেওও অসমৰ অন্ততঃ এটা গুলুৱা জনজাতীয় ভাষাৰ মাত-কথা জানিব লাগে।

বাজ্যিক ভাষা :

বহুত যত্ন, বহুত আন্দোলন, বহুত ত্যাগস্বীকাৰৰ অন্তত অসমীয়া ভাষা বাজ্যিক ভাষা হ'ল; কিন্তু নামতহে হ'ল, তাৰ প্ৰয়োগ হ'লে আজি প্ৰায় একুৰি বছৰেও শাসনৰ বৰ-চৰা সচিবালয়তে হোৱা নাই। প্ৰশ্নটো হ'ল—আমাৰ আমোলাসকলেই তাৰবাবে দায়ী নে অইন কোনোবাহে? স্পষ্টকৈ ক'বলৈ গ'লে আমাৰ মতে শাসকসকলেই এই ক্ষেত্ৰত লেজুত ধৰি বল নিদিয়া কাম কৰিছে। আমি জানো 'মহাজনঃ যেন গতঃ স পন্থা'— ৰৰলোক যেনি যায় অইনসকলো সেই পিনেই সুৰ সুৰকৈ চলে। দেশৰ শাসন যন্ত্ৰৰ 'মহাজন' মন্ত্ৰীসকলেই নহয় জানো? তেওঁলোকে ফাইলত বাজ্যভাষা প্ৰয়োগৰ তেওঁলোকৰে ঘোষিত নীতি কাৰ্যত দেখুৱালে আমোলাসকলে তাকে অনুসৰণ কৰিব। আমি জনাত অন্ততঃ এগৰাকী মন্ত্ৰীয়ে অলপতে এই আদৰ্শ কাৰ্যত দেখুৱাই নিজৰ মনোবল প্ৰতিপন্ন কৰিছে। তেখেতে বাইজৰ শ্ৰদ্ধা আকৰ্ষণ কৰাৰ উপৰি আমাৰো প্ৰশংসাভাজন হৈছে। শাসনৰ সকলো ক্ষেত্ৰতে বাজ্যিক ভাষা প্ৰয়োগ হ'লেহে অসমীয়াক বাজ্য-ভাষা বুলি ঘোষণা কৰাৰ সাৰ্থকতা হ'ব।

সাহিত্য সভাৰ সমালোচনা আৰু সংগঠন :

যিসকলে সাহিত্য সভাৰ বিষয়ে একুৰি এটা বিৰূপ মন্তব্য কৰে তেওঁলোকে প্ৰকৃততে সভাৰ প্ৰতি থকা স্নেহাধিক্যৰ হেতুকেহে তেনে উক্তি কৰে বুলি আমি ভাবোঁ—'অতিস্নেহঃ পাপশঙ্কী'। তেওঁলোকে মনে-প্ৰাণে সভাক অধিক সক্ৰিয়, অধিক শক্তিশালী আৰু অধিক গৌৰৱোজ্জ্বল হোৱাটো কামনা কৰে। সভাই তেওঁলোকৰ সেই শুভেচ্ছা কেনেকৈ ফলৱতী কৰিব পাৰে তাৰে চিন্তা কৰা উচিত।

এইটো সঁচা যে এতিয়ালৈকে সভাই যিমান আঁচনি হাতত লৈছে তাৰ অধিকাংশই কাৰ্যত সম্পূৰ্ণৰূপে ৰূপায়িত হোৱা নাই। আৰু, যিখিনি হৈছে তাৰো বহুখিনি ছোগাচোৰোকা বিধৰ। তাৰ ঘাই কাৰণ কাৰ্যনিৰ্বাহকৰ সদস্য আৰু বিষয়ৱবীয়াসকলৰ সঘন পৰিৱৰ্তন। সভাপতিৰ পদটো আজিলৈকে যথাৰ্থতে এটা আলংকাৰিত সম্মান আৰু জাতিৰ আদৰ-স্নেহৰ প্ৰতীক হৈ আহিছে। বছৰৰ মুৰে মুৰে নতুন সভাপতিয়ে সেই সম্মান পাই আহিছে, পাই থাকক; পুৰণিৰ ঠাই নতুনে লওক; কিন্তু সভাপতিৰ লগে লগে বিষয়ৱবীয়াসকলকে ধৰি সমস্ত কাৰ্যপালিকাৰ আমূল পৰিৱৰ্তন নিশ্চয় বাঞ্ছনীয় নহয়। এবছৰীয়া কাৰ্যকালত কাৰ্যপালিকাই কোনো আঁচনিকে নিয়াৰিকৈ কাৰ্যকৰী কৰিব নোৱাৰে। গতিকে এনে পৰিকল্পনা হাতত লোৱা উচিত যাতে অন্ততঃ প্ৰধান সম্পাদক সহ ৩/৪ জন কাৰ্যবাহী সদস্য তিনি বছৰলৈ দায়িত্বত থাকে আৰু একেলগে একে সময়তে আটায়ে দায়িত্ব এৰিবলগীয়া নহয়। দেখ দেখ কাৰণতে সভাপতিজনাও পদেন সভ্যৰ দৰে আৰু দুবছৰলৈ উপদেষ্টা হিচাপে কাৰ্যপালিকাৰ লগত জড়িত থকা উচিত। এনেকুৱা ব্যৱস্থাৰে কাৰ্য চলালে সভাৰ কাৰ্যৰ আঁচনিৰ আঁত হেৰোৱাৰ আশংকা কম হ'ব।

অৰুণাচল, মিজোৰাম, মণিপুৰ, কলিকতা, দিল্লী, বোম্বাই আদি ঠাইতো বহুত অসমীয়া মানুহে বসতি কৰি আছে। সেই ঠাইবোৰত উৰিষ্যাৰ ভুবনেশ্বৰত গঠন কৰাৰ দৰে শাখা সভা গঠন কৰি অসম সাহিত্য সভাৰ যোগসূত্ৰ স্থাপন কৰিব পাৰিলে ভাল হ'ব। বাজ্যিক চৰকাৰৰ সাংস্কৃতিক বিভাগৰ লগত যোগাযোগ কৰি অৰুণাচল, মণিপুৰ, নগালেণ্ড আদি ঠাইবোৰলৈ সাংস্কৃতিক দল লৈ সাহিত্য সভাৰ শুভেচ্ছামূলক সম্প্ৰীতি-সন্দেহ সঘনে পঠোৱাৰ আৰু তেওঁলোকৰ সাংস্কৃতিক দলো অসমলৈ মাজে-সময়ে অনাৰ ব্যৱস্থা হ'ব লাগে।

যিবিলাক অঞ্চলত শাখা সভাৰ সংখ্যা তাকৰ সেইবোৰত নতুন শাখা সভা স্থাপন কৰা আৰু অন্য অঞ্চলবোৰত চলি থকা আশা সভাবোৰ অধিক সক্ৰিয় কৰি তোলা সভাৰ প্ৰথম কৰ্তব্য। পাঠক শ্ৰেণী গঢ়ি তোলা আৰু সভ্যসকলৰ মাজত লেখকৰ সংখ্যা বৃদ্ধি কৰা— এই শাখা সভাবোৰৰ এটা প্ৰধান কাম।

শাখা সভা সবল আৰু সক্ৰিয় কৰি ৰাখিবলৈ হ'লে জিলা সাহিত্য সভাৰ জৰিয়তে তাৰ তদাৰক কৰা, গঠনমূলক কাৰ্যসূচীৰে শাখা সভাৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰোৱা, শাখা সভাৰ নিম্নতম কাৰ্যসূচী বান্ধি দিয়া আদি কামত মূল সভাই মনোযোগ দিব লাগে। সংগঠনৰ হকে কাৰ্যপালিকাৰ সদস্যসকলক ভাগে ভাগে একোটা দায়িত্ব দিয়াও উচিত হ'ব।

বিশ্বকোষ আৰু শিশু-বিশ্বকোষ :

অসমীয়া ভাষাত বিশ্বকোষ বচনাৰ বংচণ্ডীয়া ব্যয়বহুল আঁচনি এখন লোৱা হৈছিল আৰু সেইমতে কামো আৰম্ভ হৈছিল বুলি আমি জানো। আমি কিছুদিন ধৰি সেই দিশত নীৰৱতা বিৰাজ কৰিছে। ই এটা অসন্তোষজনক পৰিস্থিতি। সাহিত্য সভাই

এসময়ত শিশু-বিশ্বকোষ এখন প্রণয়নৰ উমঘাম কৰিছিল। এতিয়া বিশ্বকোষ ৰচনাৰ আঁচনি যদি কিবা কাৰণত অচল হৈছে, তেনেহ'লে সেই সম্বল শিশু-বিশ্বকোষ এখন প্ৰস্তুত কৰাত খটালে কেনে হয়? চৰকাৰৰ পৰা সন্তোষজনক সঁহাৰি পালে সাহিত্য সভাই সেই বিষয়ে মন-কাণ দিব পাৰে।

বহিৰাগতৰ সমস্যা :

অসমৰ ভাষিক আৰু অৰ্থনৈতিক সমস্যা দিনক দিনে অধিক জটিল আৰু সংকটজনক লৈ পৰিছে। বাংলাদেশ, নেপাল আৰু আনকি ব্ৰহ্মদেশৰ পৰাও বহিৰাগতৰ সোঁত কেতিয়াবা অন্তঃসলিলা ফগুৰ দৰে চোৰাংকৈ, কেতিয়াবা ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতৰ দৰে বুকু ফিন্দাই আহিব লাগিছে। সম্প্ৰতি আকৌ পশ্চিমবংগ আৰু বিহাৰৰ পৰা অহা প্ৰব্ৰজনৰ সোঁতে বান বাৰিষাৰ প্ৰবল ধলৰ সৃষ্টি কৰি অসমৰ জনসংখ্যা ভয়ংকৰভাৱে স্ফীত কৰি তুলিছে। পিছে বহিৰাগতৰ সমস্যা আলচ কৰাৰ আগেয়ে বহিৰাগতনো কোন—থলুৱায়ে বা কোন— এই দুয়োটা কথা স্পষ্ট কৰি লোৱা দৰকাৰ। যি অসমত নিগাজীকৈ থাকি অসমৰ স্বাৰ্থৰ লগত নিজৰ স্বাৰ্থ সৰ্বতোভাৱে মিলাই লৈছে তেৱেঁ থলুৱা। থলুৱাৰ সমস্যা আৰু অসমৰ সমস্যা পৃথক নহয়। থলুৱাৰ সমস্যাই অসমৰ সমস্যা, অসমীয়াৰ সমস্যা।

অসমলৈ প্ৰব্ৰজন কৰা বহিৰাগতসকলক দুই শ্ৰেণীত ভাগ কৰা যায়ঃ ভাৰতীয় বহিৰাগত আৰু অভাৰতীয় বহিৰাগত। দেশ বিভাজনৰ ফলত স্বাধীনতা লাভৰ পিছত পূৰ্ববংগৰ পৰা অহা একে বুজন সংখ্যক অভাৰতীয় শৰণাৰ্থীক অসমত আশ্ৰয় দিয়া হ'ল। এতিয়াও বাংলাদেশৰ পৰা তেনে বহিৰাগতৰ চোৰাং প্ৰব্ৰজন হৈয়ে আছে। নেপাল আৰু ব্ৰহ্মদেশৰপৰাও অবাঞ্ছিত লোকৰ অনুপ্ৰবেশ ঘটিব লাগিছে। তাৰে ফলত অসমৰ জনসংখ্যা, অসমৰ অৰ্থনীতি আৰু অসমৰ কৃষিভূমিৰ ওপৰত অসহ্য ধৰণৰ হেঁচা পৰিছে, আৰু সেয়ে এটা দু�ৰাৰোগ্য ৰোগত পৰিণত হৈছে। এই প্ৰক্ৰিয়া যদি এতিয়াও একেদৰে চলি থাকিবলৈ দিয়া হয়, তেনেহ'লে ভাৰতৰ মানচিত্ৰত অসমৰ ছবি নিঃচিহ্ন হোৱাৰো আশংকা নোহোৱা নহয়। গতিকে সময় থাকোঁতেই চৰকাৰে আৰু বাইজে বিদেশীৰ অনুপ্ৰবেশৰ সুৰঙাবোৰ বন্ধ কৰি অসমখন ৰক্ষা কৰিবলৈ যত্নবান হওক।

ভাৰতীয় বহিৰাগতৰ আকৌ দুটা ভাগ। কিছুমান আহিছে চাকৰি বিচাৰি বা চাকৰি লৈ, অইন কিছুমান শ্ৰমজীবী, কৰ্ম-নিৰ্ভৰ বনুৱা হৈ।

এতিয়া অসমত বহিৰাগত এই সমস্যাটোৱে তিনিপ্ৰকাৰ দুশ্চিন্তাৰ সৃষ্টি কৰিছে : (১) এই প্ৰব্ৰজনে অসমৰ শান্তি-শৃংখলাৰ ব্যতিক্ৰম ঘটাইছে, তাৰে ফলত উন্নয়নৰ অগ্ৰগতি বিপদাপন্ন হৈছে; (২) অসমৰ থলুৱা ভাষা-সংস্কৃতি আদি এনে ধুমুহাৰ কোবত উন্মূলিত হোৱাৰ উপক্ৰম হৈছে আৰু (৩) ভূমি নাইকিয়া হৈ আহিছে আৰু যি আছে তাৰো উৎপাদিকা শক্তিৰ ওপৰত এনে হেঁচা পৰিছে যে সি আৰু অধিক ভাৰ বহন কৰিব নোৱৰা হৈ আহিছে। দেশৰ এনে বিপজ্জনক পৰিস্থিতিত অবাঞ্ছিত বহিৰাগতৰ প্ৰব্ৰজন-স্ৰোত বন্ধ কৰিবই লাগিব; কিন্তু অবৈধভাৱে নিগাজী হ'ব খোজা বহিৰাগতক দূষীভূত কৰোঁতে যাতে ইতিমধ্যে থলুৱা হোৱা লোকক অত্যাচাৰ কৰা নহয় তাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। পকা চুলি উঘালোঁতে কেঁচা চুলিৰ কণ-কঠীয়া মৰে তেন্তে সেইটো অসহনীয়া হ'ব।

অবাঞ্ছিত বহিৰাগতৰ সোঁত বন্ধ কৰিব লাগিব সঁচা, কিন্তু অন্যপক্ষে থলুৱা লোকসকলেও জনা উচিত যে বহিৰাগতৰ প্ৰব্ৰজন বন্ধ কৰিলেই সমস্যাৰ অন্ত নপৰে। থলুৱাসকলে নিজেও সময় থাকোঁতেই সচেতন হৈ সকলো প্ৰকাৰৰ বাণিজ্যিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত আগবাঢ়ি গৈ আত্মনিয়োগ কৰক। তাকে নকৰি নিজে শ্ৰমবিমুখ হৈ থাকিলে সদায় বহিৰাগতৰ সোঁত বন্ধ কৰি ৰখা কাৰোপক্ষে সম্ভৱ নহ'ব।

মহিলাসকলৰ সাহিত্য প্ৰচেষ্টা :

আমি দেখি আনন্দিত হৈছোঁ যে বৰ্তমান আমাৰ মহিলাসকলৰ মাজতো সাহিত্য চৰ্চাৰ ক্ষেত্ৰত এটা নব-জাগৰণ আহিছে। বিশেষকৈ ১৯৭৫ চনত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক মহিলা বৰ্ষ উদ্‌যাপনৰে পৰা অসমৰ মহিলাসকলেও সাংগঠনিকভাৱে সাহিত্যসেৱা কৰিবলৈ আগবঢ়াটো এটা উৎসাহজনক শুভ লক্ষণ। আমি জনাত বৰ্তমানে একাধিক লেখিকা-সংগঠনে এই ক্ষেত্ৰত কাম কৰি আছে আৰু যথেষ্ট সংখ্যক নতুন লেখিকাই আত্মপ্ৰকাশ কৰি যোগ্যতাৰ পৰিচয় দিছে। তেওঁলোকৰ লখিমী হাতৰ পৰশত অসমৰ সাহিত্য ভঁৰাল চহকী হ'ব— এয়ে আমাৰ আশা।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অসম সাহিত্য সভাক গৱেষণা পৰিচালনাৰ মৰ্যাদা দান ঃ

বিশ্বজোৰা শিশুৰ হাঁহিৰ এই বৰ্ষটোৱে অসম সাহিত্য সভাৰ কাৰণেও জয়োল্লাসৰ সূচনা কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগে ইতিমধ্যে অসমৰ সাহিত্য সভাক ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ গৱেষণা পৰিচালনাৰ কাৰণে বিশ্ববিদ্যালয়ৰ সমপৰ্যায়ৰ দায়িত্ব আৰু স্বীকৃতি দিয়াৰ কথা জানিব পাৰিছোঁ। সভাই এই দায়িত্ব আৰু গৌৰৱ ৰক্ষাৰ কাৰণে যথাৰীতি কামৰ আঁচনি হাতত ল'ব লাগিব। অসম সাহিত্য সভাৰ বাহিৰে-ভিতৰে থকা সভাৰ শুভাকাঙ্ক্ষী পণ্ডিতসকল যথাসময়ত এই আঁচনিৰ শুৰি ধৰিবলৈ আগবাঢ়ি আহিব বুলি আশা ৰাখিছোঁ।

উপসংহাৰ ঃ

অসমীয়া সাহিত্যৰ দুটা স্বৰ্ণময় যুগ পাৰ হৈ গ'ল— ধৰ্মীয় সাহিত্যৰ বৈষ্ণৱ যুগ আৰু পশ্চিমীয়া সাহিত্যৰ সংস্পৰ্শত গঢ় লোৱা ৰোমাণ্টিক যুগ। তাৰ পাছত দ্বিতীয় মহাযুদ্ধৰ লগে লগে বাস্তৱবাদী পশ্চিমীয়া সাহিত্যৰ নতুন ঢৌ আহিল আৰু নতুন নতুন সাহিত্য সৃষ্টি আৰম্ভ হ'ল। বৰ্তমানে সেই সৃষ্টিৰ উদ্যমো পুনঃ নিস্তেজ হৈ আহিছে আৰু অসমীয়া সাহিত্যত ন-ন কণ্ঠস্বৰ ক্ষীণ আৰু বিৰল হৈ পৰিছে। ইয়াৰ কাৰণ কি?

জাতীয় জীবনৰ বৃহত্তৰ পটভূমিত দেখা দিয়া সংকট, শিক্ষা-ব্যৱস্থাৰ ত্ৰুটী, ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা, শিক্ষাৰ্থীৰ সন্মুখত দেখা দিয়া অনিশ্চিত ভৱিষ্যৎ, ৰাজনৈতিক অনিশ্চয়তা, অসমৰ ক্ৰমসংকুচিত ভূচিত্ৰ, আন্তঃৰাজ্যিক সীমা-বিবাদ, অৰ্থনৈতিক জীৱনৰ সংকট, গ্ৰন্থ-প্ৰকাশৰ সমস্যা, লেখক আৰু প্ৰকাশকৰ মাজত নৈৰাশ্যজনক সম্পৰ্ক, অসমীয়া পুথিৰ সীমিত বজাৰ, ৰাজহুৱা, প্ৰকাশন অনুষ্ঠানৰ নিৰাশাজনক ভূমিকা ইত্যাদি এশ এটা কাৰণত সাহিত্যৰ অগ্ৰগতি আজি মন্থৰ হৈ পৰিছে। এই সকলোবোৰৰ ওপৰত নতুনকৈ দেখা দিয়া বহিৰাগতৰ সমস্যাই আকৌ ভূতৰ ওপৰতে দাহন হৈ অসমীয়াৰ নিজা পৰিচয়কে বিপন্ন আৰু সংশয়গ্ৰস্ত কৰি তুলিছে। এনে পৰিস্থিতিত উপস্থিত হোৱা কৰ্তব্যৰ প্ৰত্যাহ্বান সাহসেৰে গ্ৰহণ কৰিব লাগিব— ৰাইজে, চৰকাৰেও। বিভিন্ন সমস্যাত জুৰুলা হোৱা অথচ নিজা সাংস্কৃতিক ঐতিহ্য আৰু প্ৰাকৃতিক সম্পদেৰে চহকী আমাৰ এই ৰাজ্যখনক অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত উন্নত আৰু মহীয়ান কৰি তোলাত এপিনে যেনেকৈ প্ৰজ্ঞাবান, স্থিতধী আৰু দূৰদৰ্শী নেতৃবৃন্দ নিজৰ দায়িত্ব পালনত সচেতন হ'ব লাগিব, আনপিনে তেনেকৈ আত্মনিৰ্ভৰশীলতাৰ মহান আদৰ্শক সাৱটি লৈ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে স্বাধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ আমাৰ ৰাইজেও বীৰদৰ্পে আগবাঢ়ি আহিব লাগিব। অবিৰাম সজাগতা আৰু সৰ্বাত্মক স্বাৱলম্বিতা—এয়ে হ'ব আমাৰ আত্মপ্ৰতিষ্ঠাৰ মূল মন্ত্ৰ। সাহসক সাৰথি কৰি সংহতিবদ্ধ হৈ আহক, আমি অসমৰ, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ মংগলৰ কাৰণে প্ৰাণপণে খাটিবলৈ দৃঢ়সংকল্প গ্ৰহণ কৰোঁহক; কাৰণ, অসম মৰিলে আমিও মৰিম। অসমৰ উন্নতিয়ে আমাৰ উন্নতি। অসমৰ গৌৰৱে আমাৰ গৌৰৱ, তথা ভাৰতৰ গৌৰৱ। অসমীয়া, তুমি য'তেই নাথাক—সদিয়া সীমান্ততে হওকে বা ধুবুৰীৰ প্ৰান্ততে হওক, পৰ্বত-পাহাৰতে হওকে বা ভৈয়ামতে হওক, তুমি নৈ-পৰীয়া চৰুৱাই হোৱা বা খিলঞ্জীয়া আদিবাসীয়ে হোৱা— তোমাৰ এটাই পৰিচয় ঃ তুমি অসমীয়া; শত বাধা-বিঘিনিৰ মাজতো যেন তোমাৰ অসমীয়া পৰিচয় জিলিকি থাকে। জয় আই অসমৰ জয়, জয় অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জয়, জয় ভাৰত-মাতাৰ জয়!

সৰ্বে ভৱন্তু সুখিনঃ সৰ্বে সন্তু নিৰাময়াঃ
সৰ্বে ভদ্ৰাণি প্ৰশ্যন্তু, মা কশ্চিৎ দুঃখভাগ্ ভৱেৎ।
ওঁ শান্তি! শান্তি! শান্তি!

-- ❋ --

সপ্তচত্বাবিংশ সম্মিলন

বহা, ফেব্রুৱাৰী, ১৯৮০ চন

যতীন্দ্রনাথ গোস্বামী

আদৰণি সমিতিৰ সভাপতি ডাঙৰীয়া, উদ্বোধক মহোদয়, উপস্থিত প্রাক্তন সভাপতিসকল, সহৃদয় প্রতিনিধিবর্গ, আইসকল, সাহিত্যিকসকল আৰু সমবেত সাহিত্যানুৰাগী বাইজ! অসমৰ ভাষা-জননীৰ কৃতী সন্তান প্রয়াত সভাপতিসকলৰ প্রতি শ্রদ্ধাঞ্জলি আগবঢ়াই আৰু আজিও সাহিত্য সেৱাত ব্রতী হৈ থকা প্রাক্তন সভাপতিসকলৰ প্রতি আন্তৰিক শ্রদ্ধা জনাই আপোনাসকলে এই অভাজনক যচা অসম সাহিত্য-সভাৰ সপ্তচত্বাবিংশ সম্মিলৰ সভাপতিৰ আসনখনি আমি নতশিৰে গ্রহণ কৰি আপোনালোকৰ ওচৰত অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। পৰমপিতা পৰমেশ্বৰৰ কৃপাত যেন আমাৰ অনুষ্ঠান সাফল্যমণ্ডিত হয়। সদৌ অসম ছাত্র সম্বা আৰু সদৌ অসম গণ-সংগ্রম পৰিষদৰ আহ্বানত ৰাজ্যজুৰি হোৱা গণ-আন্দোলনে যি সময়ত অসমত অভূতপূর্ব জনজাগৰণৰ সৃষ্টি কৰিছে তেনে এটা সময়ত ৰহাৰ এই অধিৱেশনখনিও তাৎপর্যপূর্ণ।

আমি যি সাহিত্য ক্ষেত্রত সমবেত হৈছোঁ। সেই ঠাইৰ ওচৰ-পাজৰৰ কেইটামান বৈশিষ্ট্য স্বাভাবিকতে মানসপটত ভাহি উঠিছে।

(১) স্বর্গদেৱ প্রতাপসিংহৰ (১৬০৩-৪১ খ্রীঃ) দিনৰে পৰা ৰহা আৰু ইয়াৰ কিছু দূৰৈত সীমান্তবর্তী ৰাজ্যৰ লগত সংযোগ স্থাপন কৰা তিনিটা গুৰুত্বপূর্ণ চকী আছিল। এই চকীসমূহ হ'ল— ৰহিয়ালা বৰুৱাৰ এলেকা, জাগীয়াল গোহাঁইৰ এলেকা আৰু কাজলীমুখীয়া গোহাঁইৰ এলেকা। ৰৰৱৰুৱাৰ অধীনে ৰহিয়াল বৰুৱাই ৰহা চকী শাসন কৰিছিল। আৰু তেওঁ কছাৰী ৰাজ্যৰ খা-খবৰ যোগাইছিল। জাগীৰ চকীত থাকি জাগীয়াল গোহাঁয়ে জয়ন্তা ৰাজ্যৰ বার্তা জনাইছিল। কাজলীমুখত দুজন কাজলীমুখীয়া গোহাঁইৰ চকী আছিল আৰু তেওঁলোকে জয়ন্তীয়া আৰু ডিমৰুৱা গাৰোৰ বার্তা দিব লাগিছিল।

(২) তিব্বতীয় গ্রন্থত কামৰূপৰ সিদ্ধ মৎস্যেন্দ্রনাথৰ উল্লেখ আছে। গোর্খাবিজয় পুথিৰ পৰা জনা যায় যে, মৎস্যেন্দ্রনাথে নাৰী ৰাজ্য কদলীৰ ৰাণী কমলাৰ প্রতি প্রেমাসক্ত হোৱাৰ ফলত নিজৰ অসাধাৰণ যৌগিক শক্তি হেৰুৱায়। তেওঁৰ শিষ্য গোৰক্ষনাথ কদলী ৰাজ্যলৈ আহি গুৰুক নাৰী-প্রেমৰ পৰা মুক্ত কৰে। এই কদলী ৰাজ্য নগাঁৱতে।

(৩) ড° ভিনচেণ্ট স্মিথৰ মতে ৪২৮ খ্রীঃত গুপ্তবংশৰ ৰজা কুমাৰ গুপ্তৰ ৰাজত্ব কালত কপিলী ৰাজ্যৰ য়ুয়ে আই (চন্দ্রপ্রিয় বা চন্দ্রবল্লভ) নামৰ এজন ৰজাই চীন দেশলৈ ৰাষ্ট্রদূত পঠিয়াইছিল। স্মিথে এই কপিলী ৰাজ্য অসমতে ৰুলি ঠাৱৰ কৰিছে। কনকলাল বৰুৱাৰ মতে সমুদ্রগুপ্তৰ প্রশস্তিত উল্লেখ থকা এই কপিলী ৰাজ্যই ডৱাক বা ডৱকা ৰাজ্য।

(৪) মধ্য অসমৰ কবি মাধৱ কন্দলীয়ে (চতুর্দশ শতিকা) উত্তৰ ভাৰতৰ প্রাদেশিক ভাষাত গোনতে বাল্মীকি ৰামায়ণৰ পদানুবাদ কৰি পুৰণি অসমীয়া সাহিত্য সমৃদ্ধ কৰিলে। কন্দলী ৰামায়ণ প্রাচীন অসমৰ দাপোণ স্বৰূপ। ইয়াৰ মাজেদি অসমীয়া জাতিৰ শিক্ষা, সাধনা, ৰীতি-নীতি, সমাজ, সংস্কৃতি আদি প্রতিফলিত হৈছে। নৈসর্গিক প্রকৃতিৰ বর্ণনা আৰু অংগাভৰণ অলংকাৰৰ বর্ণনা এই ৰামায়ণৰ উল্লেখযোগ্য ৰৈশিষ্ট্য। কন্দলী ৰামায়ণৰ শব্দ-সম্ভাৰে আমাৰ ভাষাৰ ঐশ্বর্য প্রকাশ কৰে। এই ৰামায়ণৰ বিভিন্ন ঠাইত পোৱা সাঁচিপতীয়া পুথিৰ পাঠৰ ভিতৰতো কিছু তাৰতম্য পৰিলক্ষিত হয়। এই সাঁচিপতীয়া পুথিৰ বিভিন্ন কাণ্ডৰোৰ সংগ্রহ কৰি ৰৈজ্ঞানিকভাৱে সম্পাদনা কৰি প্রকাশ কৰিব পাৰিলেহে কন্দলী ৰামায়ণৰ প্রকৃত মূল্যায়ন হ'ব।

(৫) মাধৱ কন্দলীৰ ৰামায়ণৰ পৱা বুজিব পাৰি যে, নাথপন্থী যোগীসকল সমাজত কিছু পৰিমাণে আছিল- 'জুগীৰ কান্ধত, কাণি জুলি যত, হাতে দোৱাদশ কাঠি।' বৌদ্ধ আৰু বাৰগুৰৱা সম্বন্ধে অনেক কথা বংশীগোপালদেৱৰ চৰিত, অন্যান্য চৰিত পুথি আৰু ব্যাসাশ্রম নামৰ ভীষ্মৰ অলৌকিক কাহিনীমূলক পুথিত আছে। এই কথাবোৰৰ পম খেদি গ'লে আমি অসম আৰু কাছাৰ জিলাত বসবাস কৰা নাথসকলৰ ধর্ম-সাধনাত উপনীত হ'বলগা হয়। চর্যাগীতৰ দৰে সাংকেতিক ভাষাত লিখা দেহবিচাৰৰ গীতত নাথসকলৰ ধর্ম-সাধনৰ সাঁচ পোৱা যায়। চমকপ্রদ আৰু উদ্ভট কথাৰ জৰিয়তে গীতবিলাকৰ মাধ্যমেৰে নিগূঢ় সত্য প্রচাৰ হৈছে। মধ্যযুগত শৈৱ আৰু বৌদ্ধ সহজীয়াবিলাক একাকাৰ হৈ পৰিছিল; সিবিলাকৰ সাধন মার্গ একেই কিন্তু চৰম তত্ত্ব বুদ্ধ বা শিৱ পৃথক। নাথ সম্প্রদায় বাৰটা শাখাত বিভক্ত। জনশ্রুতিমতে নাথ ধর্মৰ মূল-প্রৱর্তক বাৰজন। সম্ভৱ তাৰ পৱাই 'বাৰগুৰৱা' কথাটোৰ উৎপত্তি- মাধৱ কন্দলীৰ এয়ে 'হাতে দোৱাদশ কাঠি।' নাথ ধর্মৰ সাধনা বৈষ্ণৱ ধর্মৰ পৃষ্ঠভূমি আৰু দেহবিচাৰ গীতৰ উৎস সম্পর্কে অনুসন্ধানৰ বিশাল ক্ষেত্র পৰি আছে।

(৬) ৱৰদোৱা বৈষ্ণৱ ধর্ম, সাহিত্য আৰু সংস্কৃতিৰ প্রাণকেন্দ্র হ'লেও শংকৰদেৱ আৰু বাৰভূঞাসকলে সেই ঠাই এই যোৱাত ৱৰদোৱা অগাধ অৰণ্যত পৰিণত হৈছিল। প্রায় এশ বছৰৰ পাছত দূৱদৃষ্টিসম্পন্না মহীয়সী নাৰী কনকলতাই উঙচু ফুকনৰ অনুগ্রহত ছকুৰিজন ভকতেৰে সৈতে ৱৰদোৱালৈ আহি চাৰিহাটী পাতি সত্র স্থাপন কৰি ৱৰদোৱা মহাপুৰুষীয়া ধর্মৰ কেন্দ্রস্থান কৰিলে। পুৰুষোত্তম ঠাকুৰৰ দিন ধৰি আদৃত গীত, নাট, প্রসংগ, বাজনা আদি যথাসম্ভৱ অবিকৃতভাৱে অনুশীলন কৰা হয়। চতুর্ভুজৰ আজ্ঞাপৰ ধর্মাচার্যসকলেও সেইদিনা ধৰি ৱৰদোৱাৰ আর্হি গ্রহণ কৰে। ইয়াৰ ফলত শদিয়াৰ পৱা গুৱাহাটী পর্যন্ত প্রচলিত বৈষ্ণৱ ধর্মৰ আচাৰ-অনুষ্ঠান, নৃত্য, গীত, নাট, গায়ন-বায়নৰ সৱৱহী ধাৰাৰ এটা গভীৰ সামঞ্জস্য পৰিলক্ষিত হয়, কিন্তু কামৰূপৰ পৱা পশ্চিম অঞ্চলৰ আর্হিৰ কিছু মৌলিক পার্থক্য দেখা যায়, যদিও ভাৱনা-যাত্রা, গায়ন-বায়ন, নাম-প্রসংগ আদিৰ মূল ৱৰপেটা পাটবাউসীতে আছিল। মুঠৰ ওপৰত বৈষ্ণৱ ধর্ম আৰু সংস্কৃতি সংৰক্ষণৰ ক্ষেত্রত নাৰীৰত্ন কনকলতাৰ প্রকৃত মূল্যায়ন হোৱা নাই।

সাহিত্যৰ স্বৰূপ

সাধাৰণৰ কথাত শব্দ আৰু অর্থৰ সমন্বয়াত্মক সৃষ্টিকেই সাহিত্য বোলা হয়। সাহিত্যৰ আত্মপ্রকাশ একান্তভাৱে শব্দাশ্রয়ী। শব্দই সাহিত্যৰ প্রাণ। চিন্তা, কল্পনা আৰু অনুভূতিৰ বৈচিত্র্য অনুসৰি এই শব্দ বিচিত্র জ্যোতিৰে প্রকাশিত হয়। ই কেতিয়াবা ছন্দোৱদ্ধ আৰু ধ্বনিমধুৰ, কেতিয়াবা সংলাপাশ্রিত, কেতিয়াবা আখ্যান আৰু বর্ণনাধর্মী, কেতিয়াবা আড়ম্বৰপূর্ণ আৰু বিস্তাৰিত ইত্যাদি। শব্দৰ অর্থগত পার্থক্য আৰু শব্দ-বিন্যাসৰ কৌশল অনুযায়ী সাহিত্যৰ ৰূপভেদ প্রকট হৈ উঠে। 'সাহিত্য কিয় পঢ়ো' এই প্রশ্নৰ সাধাৰণ উত্তৰ হ'ব- আনন্দৰ কাৰণে পঢ়ো। কিন্তু এই আনন্দ ক'ত লুকাই থাকে কোনো কোনোৱে কয় অলংকাৰত। অলংকাৰে সুন্দৰক সুন্দৰতৰ কৰি তুলিলেও আপচুক সুন্দৰ কৰিব নোৱাৰে। তেনে সাহিত্যলব্ধ আনন্দৰ উৎস ক'ত? কোনোৱে ক'ব লিখাৰ ষ্টাইল বা ৰচনা-শৈলীত। কিন্তু যুগে যুগে ৰচনা-শৈলীৰ পৰিৱর্তন ঘটে। তেন্তে কাব্য-দেহৰ আনন্দৰ উৎস ৰচনা-শৈলীৰ মাজতো নাই। আকৌ কোনোৱে ক'ব এই আনন্দ ধ্বনি-ব্যঞ্জনাত নিহিত থাকে। এই ধ্বনি-ব্যঞ্জনাই কাব্যানন্দৰ উৎস। বাচ্যার্থ গৌণ হৈ ব্যংগার্থক কেনে সুন্দৰভাৱে প্রকাশ কৰিব পাৰে কবি কালিদাসৰ কুমাৰসম্ভৱৰ পৱা উদ্ধৃত শ্লোকটিয়েই তাৰ প্রমাণ।

"এবং বাদিনী দেৱর্ষৌ পার্শ্বে পিতুৰধোমুখী।
লীলাকমল পত্রাণি গণয়ামাস পার্বতী।।' ৬/৮৪

অর্থাৎ "দেৱর্ষিয়ে এই কথা বাপেকক কওঁতে জীয়েক পার্বতীয়ে ওচৰত বহি তলমুৰকৈ পাপৰি লেখ কৰি আছিল।" কবিয়ে ব্যঞ্জনাৰ সহায়ত পার্বতীৰ পূর্ৱৰাগ ক্রীড়া কেনেদৰে বর্ণনা কৰিছে। ইংৰাজ কবি শ্লেলীয়ে এঠাইত ধ্বনি-ব্যঞ্জনাৰ মর্মকথা কৈছে, "সকলো মহান কবিতাই এধানমান বীজৰ মাজৰ বিশাল 'ওক' গছৰ প্রাণৰহস্য নিহিত থকাৰ দৰে সৌন্দর্যখিনি কেতিয়াও ওলাই নপৰে"। (All high poetry is infinite; it is as the first acorn, which contain all oaks potentially. Veil after veil may be withdrawn, and the inmost naked beauty of the

meaning never exposed.- (A Defence of Poetry)

ধ্বনিৰ লগত অলংকাৰ, ৰীতি আৰু বিষয়-বস্তুৰ সুসামঞ্জস্যপূৰ্ণ মিলন ঘটিলে সাহিত্য সৰ্বাংগ সুন্দৰ হয়। সাহিত্যত ধ্বনি-ব্যঞ্জনাৰ সৌৰভ যিমান অধিক, সেই সাহিত্যত আনন্দানুভূতিৰ বিস্তৃতিও সিমান ব্যাপক। কবি কালিদাসৰ ৰচনাই যুগে যুগে পাঠকক আনন্দ দি আহিছে। গ্যেটেৰ ফাউষ্ট পঢ়ি আনা তোলা ফ্ৰাঁই অনুৰূপ কথাই কৈছে যে তেওঁ ফাউষ্ট পঢ়িবলৈ গৈ নতুন অৰ্থ বিচাৰি পাইছে। সাহিত্যৰ আনন্দই সকলো সীমাৰেখা অতিক্ৰম কৰি সকলো মানুহৰ মন হৰণ কৰিবলৈ বিচাৰে।

কাব্যৰ আত্মা ব্যঞ্জনা, কিন্তু এই ব্যঞ্জনা ৰসৰ। আদি কবি বাল্মীকিৰ উদ্বেলিত চিত্তৰ পৰা ক্ৰৌঞ্চবিৰহকাতৰা চক্ৰবাকীৰ শোক শ্লোকাকাৰে উচ্ছলিত হৈ পাঠকৰ হৃদয়ত শোকৰ ঢৌ তোলে। একৰ চিত্তবৃত্তি আন এজনলৈ অৰ্থাৎ নায়কৰ চিত্তবৃত্তি কবিত আৰু কবিৰ পৰা সহৃদয় পাঠকৰ অন্তৰত সংক্ৰমিত হৈছিল। পাশ্চাত্ত্য আলংকাৰিকসকলেও ভাৱৰ ৰস-ৰূপান্তৰৰ প্ৰক্ৰিয়াটো উপলব্ধি কৰিছিল। সম্ভৱ আৰিষ্টটোলে বিশুদ্ধীকৰণ— (কেথাৰচিচ্) দ্বাৰা এই প্ৰক্ৰিয়াকে বুজিছিল। আলংকাৰিকসকলে এই কথাও বুজিছিল যে, ৰসোপলব্ধিত দুখৰ সকলো উপাদান নষ্ট হৈ যায়। ইটালীৰ দাৰ্শনিক ক্ৰোচেই এই প্ৰক্ৰিয়াকে এক অনবদ্য ভাষাৰে ব্যক্ত কৰিছে যে, কাব্যিক ধাৰণীকৰণ এটা মিছা অলংকাৰ নহয় কিন্তু ই এটা গভীৰ বুজিব পৰা শক্তি, যাৰ সহায়ত আমি উদ্বেগ ভাৱাবেগৰ পৰা প্ৰশান্ত চিন্তালৈ যাওঁ (Poetic ideslization is not a frivolous embellishment, but a profound penetration, in virtue of which we pass from troublous emotion to the serenity of contemplation.)। ৰসোপলব্ধিতেই প্ৰকৃত পাঠৰ আনন্দ।

প্ৰসংগক্ৰমে বৃহদাৰণ্যক উপনিষদৰ আখ্যান এটা উল্লেখ নকৰি নোৱাৰিলোঁ। ঋষি যাজ্ঞবল্ক্যৰ দুগৰাকী পত্নী— মৈত্ৰেয়ী আৰু কাত্যায়নী। ঋষিয়ে গৃহস্থাশ্ৰম এৰিবৰ সময়ত মৈত্ৰেয়ীক ক'লে, "মৈত্ৰেয়ী, মই সংসাৰ ত্যাগ কৰিবলৈ মনস্থ কৰিছোঁ। তাৰ আগতে তোমালোক দুয়োৰে মাজত বিষয়-সম্পদ ভগা-বটা কৰিবলৈ ইচ্ছা কৰোঁ।" মৈত্ৰেয়ীয়ে স্বামীৰ কথাৰ ইংগিত বুজিব পাৰি ক'লে, "মই পৃথিবীৰ সকলো সম্পদ লাভ কৰিলেও অমৃতৰ অধিকাৰী হ'ব নোৱাৰোঁ। যাৰ দ্বাৰা অমৃতত্ব পোৱা নাযায়, তাক লৈ কি কৰিম?" দৰাচলতে আমি পৃথিবীত মৈত্ৰেয়ী আৰু কাত্যায়নী সভ্যতাৰ ৰ ওচৰা-উচৰিকৈ দেখা পাইছোঁ। অমৃত আৰু অৰ্থৰ তৃষ্ণাৰে আমি জীৱনৰ বাট বুলিব লগা হৈছে।

এই মৈত্ৰেয়ী জিজ্ঞাসাৰ মাজত আমাৰ সাহিত্য-জিজ্ঞাসাৰ উত্তৰো লুকাই আছে। যি আত্মাক দেহ-মন-প্ৰাণ-জ্ঞান আনন্দৰ মণিকোঠাত ঢাকি থোৱা আছে তাৰ প্ৰকাশৰ দায়িত্ব সাহিত্যই বহন কৰিছে। মৈত্ৰেয়ী আত্মাৰূপী এই অমৃতৰ সৈতে কাত্যায়নীৰূপী দেহৰ সহিতত্বৰ ৰহস্যই সাহিত্য। তেনেহ'লে আমাৰ বিচৰণক্ষেত্ৰ হ'ল দুখন জগত—এখন আমাৰ অনুভূতিময় বহির্জগত আৰু আনখন হ'ল ইন্দ্ৰিয়গ্ৰাহ্য বহির্জগত।

আনন্দই কাব্যৰ একমাত্ৰ লক্ষ্য। কাব্যপাঠত পাঠকে আনন্দ লাভ কৰিছেনে নাই সেইটোৱেই হ'ল চৰম জিজ্ঞাসা। ৰসাস্বাদনৰ পৰা এই কাব্যানন্দ উৎপত্তি হয়। কাব্যজগতৰ বাহ্যিক উপাদানসমূহে কবি বা পাঠকৰ ভাৱাবেগক ৰসলৈ ৰূপান্তৰিত কৰে। এই ৰস বা আনন্দই হ'ল বৃহৎ সত্তাৰ উপলব্ধি।

কাব্যৰ বিষয়-বস্তু সম্পৰ্কে প্ৰাচ্য আৰু পাশ্চাত্য মনীষীসকলৰ ভিতৰত বিশেষ পাৰ্থক্য নাই। কবিয়ে সুন্দৰক সুন্দৰতৰ কবি তোলে আৰু বহির্জগতৰ সত্তাময় পদাৰ্থক আলৌকিক চিত্তজগতৰ বৃত্তিময় চেতনালৈ ৰূপান্তৰিত কৰে। সাহিত্যি এক নৈৰ্ব্যক্তিক সত্তা, যাক মনীষী ক্ৰোচেই নন্দনতাত্ত্বিক অনুভূতি বুলিছে। সাহিত্যৰ ৰূপ (বস্তুৰূপ) আৰু ৰস (অনুভূত ৰস) একাত্ম। ৰসৰ আশ্ৰয়ত ৰূপ সৃষ্টি হয় আৰু ৰূপক অৱলম্বন কৰি ৰস প্ৰকাশ পায়।

সাহিত্য বোঁৱতী সুঁতি

সাহিত্য বোঁৱতী সুঁতিৰ নিচিনা। ই যুগধৰ্মৰ মানস মুকুৰ। যুগ পৰিবৰ্তনৰ লগে লগে সমাজো সলনি হয় আৰু যুগ-মানসৰ লগে লগে সাহিত্যৰ ধাৰাৰো পৰিবৰ্তন হয়। বিভিন্ন সাহিত্যত যুগে যুগে বিভিন্ন ধাৰা প্ৰকাশ পোৱাৰ দৰে ইংৰাজী সাহিত্যতো কেইটামান ধাৰা স্পষ্ট হয়। যেনে- অষ্টাদশ শতিকাৰ (১৭০০-৯৮ খ্ৰীঃ) প্ৰতীকবাদী আন্দোলন বা চিম্বলিষ্ট মুভমেণ্ট, চিত্ৰকল্পবাদী আন্দোলন বা ইমেজিষ্ট মুভমেণ্ট ইত্যাদি। ঊনবিংৰ শতিকাৰ শেষত আৰু বিংশ শতিকাৰ প্ৰথম দশকত কিছুমান

চমকপ্রদ বৈজ্ঞানিক আবিষ্কাৰে মানুহৰ মনোজগতৰ এক বৈপ্লবিক পৰিবৰ্তন সাধন কৰিলে। আধুনক কবিসকলে সংশয়াচ্ছন্ন যুগৰ মুখামুখি হৈ বায়ুৰ দৰে নিশ্বাস-প্রশ্বাসত বিজ্ঞানৰ মূল কথাবোৰ গ্রহণ কৰিলে। ইয়াৰ ফলত দীৰ্ঘকাল কবিতাৰ পৰীক্ষা-নিৰীক্ষা চলিল। নতুন অভিজ্ঞতা প্রসংগত কবি টি. এচ. এলিয়টে কৈছে যে, কবিতাৰ (বা সাহিত্যৰ) কোনো বিশেষ উদ্দেশ্য থাকিব পাৰে, কিন্তু তাৰ উপৰি থাকিব লাগিব কোনো নতুন বস্তুৰ অভিজ্ঞতা বা কোনো পৰিচিত বস্তুৰ নতুন ব্যাখ্যা বা এনে কোনো বস্তুৰ প্রকাশ যিটো আমাৰ অভিজ্ঞতাত পাইছোঁ যদিও ইমান দিনে প্রকাশৰ ভাষা বিচাৰি পোৱা নাই (beyond any specific intertion which poetry may have... there is always the communication of some new experience or some fresh understanding of the familiar or the expression of something we have experienced but have no words for which enlerges our consciousness, or refines our sensibility) এনে সাহিত্যই আমাৰ চেতনাক প্রসাৰিত কৰে আৰু অনুভূতিক সূক্ষ্মতৰ কৰি তোলে। ইয়াত এলিয়টে যি নতুনত্বৰ কথা কৈছে, সি প্রকৃতপক্ষে যুগ-চেতনাৰ নতুনত্ব। প্রতি যুগৰ অভিজ্ঞতা আৰু উপলব্ধিৰ মাজত এনে কিছু অনন্যতা থাকে, যিটো পূৰ্বৱর্তী বা পৰৱর্তী যুগত পাব নোৱাৰি। এই সমকালৰ অনন্যতাক সমকালীন সাহিত্যই প্রকাশ কৰিবলৈ সচেষ্ট হ'লেই সার্থকতা লাভ কৰে। বর্তমান যুগত সততা, সত্য আৰু সৌন্দর্য এই শব্দবোৰৰ বৰ বেছি কাব্যিক মূল্য নাইকিয়া হৈছে। এই শব্দবোৰত হয়তো কেতিয়াবা গুৰুত্ব আৰোপ কৰিবলগীয়া হ'ব পাৰে; কিন্তু এতিয়া সেইবোৰৰ সলনি অধিক মূর্ততা, অধিক চিত্রকল্প আৰু অধিক গুণবাচক ব্যঞ্জনাই ঠাই লৈছে। ফ্রান্স, স্পেইন বুলগেৰিয়া, জার্মানী, পোলেণ্ড, ইজৰাইল, ৰাচিয়া, চীন আদি দেশৰ কবিতা নিজ নিজ ভাষাৰে মূল্যবোধৰ ইংগিত দিয়ে।

সাহিত্যত বাস্তৱবাদ

জাতিৰ ধর্ম, কৃষ্টি আৰু সভ্যতাই সাহিত্যৰ মানদণ্ড। জাতিৰ ৰীতি-নীতি আৰু ভাৱধাৰাৰ অনুশাসন সাহিত্যৰ প্রাণধর্ম। যিকালত জীৱন সহজ-সৰল আছিল, সেই কালত বিহগীত, ফুলকোঁৱৰৰ গীত আদিৰ সহায়ত চহা কবিয়ে নিজৰ মনৰ ভাৱ প্রকাশ কৰিছিল; কিন্তু ক্রমে জীৱন জটিল হৈ আহিল, সংঘাতে দেখা দিলে আৰু সমস্যাৰ উদ্ভৱ হ'ল। সাহিত্য নামি আহিল সমাজৰ পটভূমিলৈ; জীৱনৰ বাস্তৱতালৈ। সাহিত্য বিলাস নহয়, কিন্তু জীৱন প্রতিবিম্ব। সমাজ-মনক অবলম্বন কৰি বর্তমান সাহিত্য প্রাণবন্ত হৈ উঠিছে।

যিসকলে সাহিত্যত বাস্তৱবাদ (ৰিয়েলিজম) ৰ মত পোষণ কৰে, তেওঁলোকে সত্যক সাহিত্যৰ মূল ভেঁটি বুলি ভাৱে। বাস্তৱবাদীসকলে কয় যে, শিল্পীয়ে জীৱনক যথাযথভাৱে ফুটাই তুলিব লাগে। জীৱনক অবিকৃত ৰূপত ফুটাই তুলিলেও সেই পৰিস্ফুটন সৌন্দর্যসম্মত হ'ব লাগে। অভিপ্রায়ৰ সততা আৰু শিল্পীৰ স্বকীয় আদর্শৰ প্রতি নিষ্ঠা এই দুয়োৰে সমন্বয়ৰ ফলতহে প্রকৃত বাস্তৱবাদ পোৱা যায়।

ফৰাচী ঔপন্যাসিক ষ্টাদালৰ 'ৰেড্ এণ্ড দি ব্লেক' উপন্যাসে উনবিংশ শতিকাৰ প্রথম ভাগত ইউৰোপীয় সাহিত্যত বাস্তৱবাদৰ সূচনা কৰে। গুস্তাভ ফ্লবেয়াৰৰ "মাডাম বভাৰি" উপন্যাস ফৰাচী বাস্তৱবাদৰ শ্রেষ্ঠ নিদর্শন। গগলৰ "দি ক্রু'কে" ৰুচ সাহিত্যত বাস্তৱবাদৰ সূত্রপাত কৰে। নৰৱেৰ হেনৰিক ইবচেনে নাট্য-সাহিত্যত বাস্তৱৰ ৰহণ সানে। ডিকেন্স, থেকাৰি আদিয়ে ইংৰাজী সাহিত্যত সমসাময়িক সমাজৰ বাস্তৱ চিত্র আঁকে। অন্যান্য বাস্তৱবাদী ঔপন্যাসিকসকল হ'ল টমাচ মান, আইভান বুনিন, চমাৰচেট মম, উইলিয়াম ফকনাৰ ইত্যাদি। আমেৰিকাৰ আধুনিক উপন্যাসতো বাস্তৱবাদ প্রতিফলিত হৈছে। চল বেলোৰ লেখাৰ মূল উৎস হ'ল জীৱন সম্পর্কীয়—আধুনিক মানুহৰ জিজ্ঞাসা, ব্যক্তিৰ সামাজিক দায়িত্ব, গণতন্ত্রৰ সম্ভাৱনা ইত্যাদি।

সাহিত্যত শ্লীলতা-অশ্লীলতা

আর্ট বা কলাৰ শ্লীলতা বা অশ্লীলতা সম্পর্কত অনেক সময়ত তর্ক হয়। কলাই কোনো নীতি-কথা নক'লেও তাৰ প্রভাৱ নিশ্চয় নৈতিক। প্রকৃতিত অসুন্দৰ আৰু বীভৎস বস্তু থাকিলেও তাৰ উদাৰ স্পর্শত সকলো পবিত্র হয়। নগ্নতা মাত্রেই অশ্লীল নহয়, কিন্তু তাৰ আঁৰৰ লালসাময় মনোভাৱহে অশ্লীল। শিল্পীয়ে জীৱনৰ নগ্নচিত্র উদঙাই দেখুৱাব পাৰে। প্রকৃততে নিম্নৰুচিৰ

নগ্নতাৰ কাৰণে নগ্নতা পৰিবেশন কৰিলে আপত্তি নকৰি নোৱাৰি। আৰ্ট বা কলাই চিৰদিন অনুভূতি লৈ কাৰবাৰ কৰিলেও দৰাচলতে সি শিল্পীৰ প্ৰাণৰ নীতি। স্ৰষ্টাৰ ৰূপকৰ্মত এই নীতিৰ প্ৰভাৱ পৰে। সেই কাৰণে আৰ্টৰ শ্লীলতা বা অশ্লীলতাৰ অৰ্থ হ'ল শিল্পী প্ৰাণৰ শ্লীলতা বা অশ্লীলতা। ই দৃষ্টিভংগীৰ ওপৰত নিৰ্ভৰশীল। অত্যন্ত নগ্ন অশ্লীলতা দৃষ্টিভেদে কিমান উপাদেয় হ'ব পাৰে ফৰাচী ঔপন্যাসিক জুল ৰোমাৰ 'বডিজ ৰাপচাৰ' নাইবা গুস্তাভ ফ্লবেয়াৰৰ 'মাডাম বভাৰি' উপন্যাস পঢ়িলে তাক বুজিব পাৰি। অশ্লীলতাৰ ধাৰণা যুগে যুগে, দেশে দেশে সলনি হয়। এসময়ত ডি. এইচ. লৰেন্সৰ লেডি চেটার্লিজ লাভাৰ নাইবা ভ্লাডিমোৰ নবকভৰ 'ললিতা' অশ্লীল বুলি ভবা হৈছিল। কিন্তু পাছত সেই গ্ৰন্থসমূহ জনসমাদৃত হয়।

সাহিত্য আৰু সমাজ-চেতনা

সাহিত্য সমাজ-মনৰ দাপোণ। সাহিত্যৰ ওপৰত সমাজ-চিন্তাৰ প্ৰতিফলন অৱশ্যম্ভাৱী। সাহিত্যৰ বজাৰত প্ৰচলিত বিশুদ্ধ সাহিত্য কথাষাৰ বাস্তৱ ভেঁটি সম্বন্ধে সন্দেহ নোহোৱা নহয়। পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্য কোনো কালে সমাজ-নিৰপেক্ষ নহয়। মহাকবি বাল্মীকি নাইবা কালদাসৰ কাব্য আৰু নাটকৰ মাজেদি সমাজ-চিন্তাৰ সোঁত ফল্গু ধাৰাৰ দৰে বৈ আছে।

মধ্যযুগ আৰু আধুনিক যুগৰ সাহিত্যতো সমাজ-চেতনাৰ দৃষ্টান্ত পোৱা যায়। ডাণ্টেৰ ডিভাইন কমেডি প্ৰেমকাব্য হ'লেও তাৰ অনন্তৰালত আছে সমাজ-চিন্তাৰ দ্যোতনা। শ্বেক্সপীয়েৰৰ সাহিত্যৰ ওপৰতো এলিজাবেথান যুগৰ সমাজ-চিন্তাৰ সাঁচ স্পষ্ট। যুগৰ ধ্যান-ধাৰণাই যুগ-সাহিত্যক প্ৰভাৱিত কৰে। ইংৰাজ সমালোচক চাৰ ৱাল্টাৰ ৰেলীয়ে এলিজাবেথান যুগৰ সাহিত্যৰ ওপৰত সেই সময়ৰ নাৱিক পৰ্যটকসকলৰ প্ৰভাৱ বৰ্ণনা প্ৰসংগত এই কথা পুংখানুপুংখৰূপে বিশ্লেষণ কৰিছে। গোটেই সমাজ-চিন্তাৰ টোত উটি-বুৰি ফুৰি গভীৰ অন্তৰ্দ্বন্দ্বৰদ্বাৰ ক্ষুব্ধ হৈ শেষত আত্ম-সমাহিত প্ৰশান্তিৰ স্তৰত উপনীত হয়।

বৰ্তমান যুগ সংশয়, দ্বিধা আৰু জিজ্ঞাসাৰ যুগ। এই কালৰ মানৱমন পৰস্পৰ বিৰোধী সংঘাতেৰে আলোড়িত। শিল্পী-সাহিত্যিকসকল সমাজ-চিন্তাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। আমেৰিকাৰ কোনো কোনো উপন্যাসত আৰ্থ-সামাজিক বিৱৰ্তনৰ ইতিহাস পোৱা যায়। তেনে উপন্যাসসমূহৰ ব্যাপকতা সত্ত্বেও বেছিভাগেই স্থান-কালৰ সীমা অতিক্ৰম কৰিব পৰা নাই। সেই অৰ্থত আপটন চিনক্লেয়াৰৰ 'অয়েল' এখন মহৎ উপন্যাস নহয়। কিন্তু মার্ক টোৱেইন, চিনক্লেয়াৰ লিৱিছ নাইবা আৰ্ণেষ্ট হেমিংৱেৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য নহয়।

কোনো কোনোৱে মত প্ৰকাশ কৰে যে, সাহিত্যত ৰাজনৈতিক চিন্তা-চৰ্চা প্ৰকাশ পাব লাগে। ৰাজনৈতিক চিন্তা-চৰ্চা সাহিত্যত প্ৰকাশ পালেও সেই সাহিত্য কালজয়ী নহ'ব পাৰে, কিয়নো কবি-সাহিত্যিকসকল শাশ্বতৰ গায়কহে। ৰাজনৈতিক কাৰণত কাৰাবাস ভোগ কৰা ইংৰাজ কবি জন মিল্টনে কেইটামান ৰাজনৈতিক প্ৰবন্ধ লিখিছিল। কিন্তু তেওঁৰ গদ্য ৰচনা 'এৰিঅপেগিটিকা'তকৈ 'পেৰেডাইজ লষ্ট' কাব্যহে বিখ্যাত আৰু সৰ্বজনসমাদৃত। কবি শ্যেলী, কীটচ্ আদিৰ কবিতাতো সমসাময়িক ৰাজনৈতিক কথা নাই। টলষ্টয়ৰ জীৱদ্দশাত ৰুচদেশ জাৰৰ উৎপীড়নত জৰ্জৰিত হৈছিল কিন্তু 'আনা কাৰাণিনা' উপন্যাসত ক'লে তাৰ ছাঁ নাই। 'অল্ কোৱাইট অন্ ডি ৱেষ্টাৰ্ণ ফ্ৰণ্ট', 'ৱেইনবো' আদি উপন্যাসত বিশ্ব-মানৱৰ শাশ্বত অনুভূতি ৰসোত্তীৰ্ণভাৱে প্ৰকাশ পোৱাৰ কাৰণে সেইবোৰ উপন্যাস বিশ্ব-সাহিত্যত স্থান পাইছে। কিন্তু সেইবোৰ গ্ৰন্থ ৰাজনৈতিক কাৰণত বিখ্যাত নহয়।

সমকালীন ভাৱতাত্ত্বিক সাহিত্য

বৰ্তমান শতিকাত সাহিত্যত সাম্যবাদৰ সূচনা হৈছে। এই শতিকাৰ তৃতীয় দশকত জগত জোৰা অৰ্থনৈতিক অৱনতিয়ে বিভিন্ন দেশত সাম্যবাদ প্ৰচাৰৰ পৰিবেশ সৃষ্টি কৰিছে। ফ্ৰয়েডৰ মনোবিশ্লেষণৰ সূত্ৰই সাহিত্যলৈ আনিছে অন্তৰ্মুখীনতা। প্ৰত্যেক পাৰ্টি বা দলৰ একোটা ভাৱাদৰ্শ থাকে। ভাৱতত্ত্বৰ আদৰ্শত ৰচিত সাহিত্যই যুগ-জীৱনৰ সৈতে সমতা ৰক্ষা কৰে।

ইউৰোপত খ্ৰীষ্টধৰ্মীয় উদাৰতাবাদী সংহতিৰ পুনৰুত্থান (কেথলিক ৰিভাইভেল) আন্দোলনে ১৯১৪ চন মানত মূৰ দাঙি উঠে। ফৰাচী লেখক ফ্ৰাঁচোৱা মোৰিয়াক আৰু পল ক্লদেলে 'কেথলিক' আদৰ্শক সাহিত্যৰ বাহন কৰে। ইংৰাজী সাহিত্যত জি. কে. চেষ্টাৰটন, ইভলিন ঔ. টি. এচ. এলিয়ট আদি এই আদৰ্শৰ পক্ষপাতী।

সমকালীন ভাৱতাত্ত্বিক গোষ্ঠীসকলৰ ভিতৰত মাৰ্ক্সবাদী গোষ্ঠী আগশাৰীৰ। মাৰ্ক্সৰ দৰ্শন অনুসৰি এতিয়া প্ৰোলিটেৰিয়েট

আৰু কেপিটেলিষ্টৰ ভিতৰত সংগ্ৰাম চলিছে। শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠাই মাৰ্ক্সবাদীসকলৰ আদৰ্শ। বাচিয়াৰ বাহিৰেও বিভিন্ন দেশৰ লেখকসকল মাৰ্ক্সবাদৰ দ্বাৰা প্ৰভাৱান্বিত।

দ্বিতীয় মহাযুদ্ধৰ পাছত ফৰাচী সাহিত্যত অস্তিত্ববাদত বিশ্বাসী এটা নতুন ভাৱতাত্ত্বিক গোষ্ঠী উদয় হয়। কাফকা, জাঁ পল চার্ত্রে, আলবেয়াৰ কেমু, গেব্রিয়েল মার্চেল আদি লেখকসকল অস্তিত্ববাদী। কেমুৰে 'দি মিথ অব চিচিফাচ্' গ্ৰন্থত তেওঁৰ ধাৰণা স্পষ্টভাৱে প্ৰকাশ কৰিছে।

বিশ্ব-সাহিত্য

মহৎ সাহিত্যৰ সামগ্ৰিক ৰূপটোৱেই হৈছে বিশ্ব-সাহিত্য। যিবিলাক পুথিয়ে ভাষা আৰু দেশৰ সীমা অতিক্ৰম কৰি পৃথিৱীৰ সাহিত্যিকসকলক আনন্দ দিব পাৰে আৰু যিবিলাক গ্ৰন্থই পৃথিৱীৰ বিভিন্ন দেশৰ মাজত ভাৱ বিনিময়ত সহায়ত কৰে তাকে সাধাৰণভাৱে বিশ্ব-সাহিত্য বুলিব পাৰি। যেনে— শকুন্তলা, হেমলেট, ফাউষ্ট ইত্যাদি। এই সাহিত্য হ'ল আন্তৰ্জাতিক ভাৱ বিনিময়ৰ বজাৰ। বিশ্ব-সাহিত্যই কিছুমান বাহ্যিক পাৰ্থক্যৰ অন্তৰালত নিহিত হৈ থকা মানুহৰ মূলগত ঐক্য প্ৰকাশ কৰি বৃহৎ মানৱ সমাজ গঠনত সহায়ক হয়। এটা জাতিৰ সাহিত্য আৰু সংস্কৃতি দেশৰ গণ্ডীৰ ভিতৰতে সীমাবদ্ধ হৈ থাকিলে সাৰ্থকতা লাভ কৰিব নোৱাৰে; সেইটো যে বিশ্ব-সাহিত্যৰ অংশ মাথোন আৰু বিশ্ব-ভাণ্ডাৰত সঞ্চিত হোৱাৰ যোগ্যতা লাভ কৰাৰ সাৰ্থকতা সম্পৰ্কে পোনতে 'যোহা গটফ্ৰিড হার্ডাৰে' দৃষ্টিগোচৰ কৰে। তেওঁ কয় যে, শেক্সপীয়েৰে লোকগাথা আৰু লোকগীতক ভেঁটি কৰি তেওঁৰ বিখ্যাত নাটকসমূহ ৰচনা কৰিছিল। ইয়াৰ ফলত ইউৰোপত লোকগাথা আৰু লোকগীতৰ চর্চা আৰু সংকলন আৰম্ভ হয়। লোক-সাহিত্যৰ ব্যাপক চর্চাৰ ফলত ফাউষ্টৰ কাহিনীয়ে গ্যেটেৰ মন আকর্ষণ কৰে। হেলেনৰ ছাঁয়াটো আগত দেখি যেতিয়া ফষ্টাচে কয়— "এইখনেই নে মুখ, যাৰ কাৰণে এক হাজাৰ জাহাজ চলিছিল?" (Was this the face that launced a thousand ships?) তেতিয়া তেওঁৰ উক্তিয়ে সেই কালৰ গীত, প্ৰেম, বীৰত্ব আদৰে পৰিপূৰ্ণ প্ৰাচীন গ্ৰীকসকলৰ এখন নতুন জগতৰ দুৱাৰ মুকলি কৰে।

চুইডিচ সাহিত্যৰ মৌ-চাক

বিশ্ব-সাহিত্যৰ কথা চিন্তা কৰিলে সমৃদ্ধ চুইডিচ সাহিত্যৰ কথা মনলৈ আহে। এই সহিত্য ইউৰোপৰ বিভিন্ন ভাৱধাৰাৰে পৰিপুষ্ট। ৰজা তৃতীয় গোস্তাভৰ ৰাজত্বকালত চুইডিচ সাহিত্য কৰ মাইকেল বেলমানৰ গীতেৰে মুখৰিত হয়। কিন্তু ১৮৬৫ খ্ৰীঃৰ পাছত বিদেশী ভাৱধাৰা আৰু মতবাদে স্কান্ডিনেভিয়াত অবাধে প্ৰৱেশ লাভ কৰে। এই বিষয়ত ডাৰুইনৰ মতবাদ, স্পেনচাৰৰ ক্ৰমবিৱর্তনবাদ, ফ্ৰান্সৰ কোঁতৰ দৃষ্টবাদ (পজিটিভিজম), চোপেনহাৱাৰৰ দুখবাদ, নীট্চৰ মতবাদ আদি উল্লেখযোগ্য। এই মতবাদসমূহে পোনতে নৱৰেত প্ৰতিপুত্তি আৰু বিকাশ লাভ কৰে। হেনৰিক ইবচেন সেই যুগৰ অগ্ৰণী সাহিত্যিক। গেয়ৰ্গ ব্ৰাণ্ডেচে প্ৰচলিত ৰোমাণ্টিচিজম বা নৱন্যাসবাদক তীব্ৰভাৱে আক্ৰমণ কৰে আৰু সাহিত্যৰ পৰিৱর্তন সাধন কৰে। ষ্ট্ৰীণ্ডবার্গে চুইডিচ ভাষাক নতুন গঢ় দিয়াৰ উপৰি জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰে গল্প, উপন্যাস আৰু নাটক ৰচনা কৰে। তেওঁ সাহিত্যৰ প্ৰভাৱ আমেৰিকা আৰু ইউৰোপৰ সাহিত্যৰ ওপৰতো পৰে। চেলমা লাগেৰলাফে উপন্যাসক এক মর্যাদা দান কৰে। ফেবিয়ান লাগেকৰভিষ্ট প্ৰসিদ্ধ নাট্যকাৰ, গল্পকাৰ আৰু ঔপন্যাসিক।

অনুবাদ সাহিত্য

আন্তৰ্জাতিক ভাৱ বিনিময় আৰু বিশ্ব-সাহিত্য প্ৰচাৰৰ ঘাই উপায় অনুবাদ। গ্যেটেই অনুবাদৰ ওপৰত গুৰুত্ব দিছে। অনুবাদকৰ কাম মৌলিক সাহিত্য সৃষ্টিতকৈ অধিক জটিল। অনুবাদকৰ দুয়োটা ভাষাত সমান দখল নাথাকিলে অনুবাদ অভিধানগত হ'ব, মূল সাহিত্য-কৃতিৰ ৰূপ আৰু মর্মানুগত নহয়। অনূদিত গ্ৰন্থই বিভিন্ন সাহিত্যৰ উন্নতিত ৰঙণি যোগায়।

পূৰ্বতে আৱব্য ৰজনী (এৰেবিয়ান্ নাইটচ) ৰ সাধুবোৰ মুছলমানসকলে কেৱল কাল্পনিক সংগ্ৰহ বুলি ধাৰণা কৰিছিল। পশ্চিমত সেই সাধুবোৰ আৰৱ সমাজৰ সমাজতত্ত্ব অধ্যয়নৰ ঐশ্বৰ্যপূৰ্ণ উৎস সামগ্ৰী বুলি ভবা হয়। সিবোৰত যেন আৰৱসকলৰ মনৰ মচিব নোৱাৰা সাঁচ আছে। অনুবাদৰ ফলতহে আৱব্য ৰজনী সৰ্ৱৱহী হৈছে। পোনতে এডোৱার্ড উইলিয়ম লেনৰ ইংৰাজী অনুবাদে আৰৱসকলৰ সমৃদ্ধ ভাণ্ডাৰৰ অমৃতৰ সোৱাদ দিয়ে। তাৰপাছত জন পেইনে ইয়াৰ সম্পূৰ্ণ আৰু

মনোৰম ইংৰাজী অনুবাদ কৰে। আৰব্য ৰজনী পৃথিবীৰ বিভিন্ন ভাষালৈ অনূদিত হৈছে। ফিটজাৰেল্ডৰ অনুবাদ ওমৰৰ ৰুবাইয়াৎ জনপ্ৰিয় কৰে। শকুন্তলা নাটকৰ জাৰ্মান অনুবাদে গ্যেটে, হার্ডাৰ, চিলাৰ আদিক প্ৰেৰণা দিয়ে।

পৃথিবীৰ বিভিন্ন ৰাষ্ট্ৰই অনুবাদৰ ওপৰত গুৰুত্ব দিছে। ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান, সংস্কৃতি সংস্থাৰদ্বাৰা প্ৰকাশিত পুস্তক প্ৰকাশন-সংক্ৰান্ত আন্তর্জাতিক তথ্য আৰু পৰিসংখ্যান গ্ৰন্থ (ইউনেস্কো বিব্‌লিওগ্ৰাফিক চার্ভে ১৯৫৮) ত পোৱা যায় যে, ১৯৫৮ চনত বিদেশী গ্ৰন্থৰ অনুবাদ প্ৰকাশৰ ক্ষেত্ৰত ছোভিয়েত ৰাচিয়া সর্বাগ্ৰগণ্য দেশ আছিল। সেই বছৰ ৰাচিয়াত প্ৰকাশিত হয় ৪,৪৫৮ খন বিদেশী গ্ৰন্থৰ অনুবাদ। মার্কিন যুক্তৰাষ্ট্ৰত প্ৰকাশিত হয় ৯৫৩ খন, গ্ৰেটবৃটেনত ৮৭১ খন; ফ্ৰান্সত ১,৩২৪ খন, ৰুমানিয়াত ১,১১৬ খন, চেকোশ্লোভেকিয়াত ১,৪৫৮ খন ইত্যাদি। হিন্দী, বঙলা আদি ভাষাতো অনেক গ্ৰন্থ অনূদিত হৈছে। অসমীয়া ভাষাত অনূদিত গ্ৰন্থৰ সংখ্যা যথেষ্ট বুলিব নোৱাৰি।

আধুনিক কবিতা

ঊনবিংশ শতিকাত ৰোমাণ্টিচিজমৰ উপৰি বাস্তৱবাদী সাহিত্য আৰু প্ৰতীকবাদী সাহিত্যৰ ধাৰাও অব্যাহত থাকে। উক্ত শতিকাৰ সত্তৰ-আশী দশকত বৈজ্ঞানিক আৱিষ্কাৰৰ ফলত মানুহৰ ধাৰণাত এক সঞ্জীৱিত নতুন বিশ্বাসবোধৰ উদয় হ'ল। বিংশ শতিকাৰ নৈতিক ধাৰণাৰ ওপৰত ফ্ৰয়েডৰ প্ৰভাৱ অপৰিসীম। ১৯১৪ চনৰ প্ৰথম মহাসমৰে পৃথিবীৰ সীমা চুৱমাৰ কৰিলে। সামাজিক জ্ঞানৰ বহুধা বিস্তাৰৰ ফলত নৈতিক অস্থিৰতাই দেখা দিলে। মানুহৰ ঐতিহ্যগত আদর্শক বিশ্বাসৰ অভাৱ হ'ল। চিত্ৰকল্পৰ দ্ৰুত পৰিৱর্তন হ'ল। এইক্ষেত্ৰত ফ্ৰান্সৰ প্ৰতীকবাদী আন্দোলনৰ কিছু বৰঙণি আছে। আধুনিক ক বিতা কবিৰ সচেতন মনৰ প্ৰকাশ। তেওঁ অনুভূতি আৰু ধী-শক্তিৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াক ভাষাৰ জটিলতাৰ মাজেদি প্ৰকাশ কৰিবলৈ বিচাৰে। এতিয়া কবিতা হৈ পৰিল কবিৰ বিচিত্ৰ অনুভূতিৰ প্ৰকাশ কৰিবলৈ বিচাৰে। এতিয়া কবিতা হৈ পৰিল কবিৰ বিচিত্ৰ অনুভূতিৰ প্ৰকাশ। প্ৰথম মহাসমৰৰ পূৰ্ৱৱর্তী কালছোৱাত আধুনিক কবিতাই চিত্ৰকল্পবাদ (ইমেজিষ্ট) আন্দোলনৰ পৰা প্ৰেৰণা লাভ কৰে। এই আন্দোলন গুৰুত্বপূর্ণ, কিয়নো এই আন্দোলনে ভিক্টোৰীয়া যুগৰ বাহুল্য বর্জন কৰ কবিতাৰ বিকাশৰ পথ সুগম কৰে। চিত্ৰকল্পবাদৰ এজন গুৰি ধৰোঁতা এজ্ৰা পাউণ্ডৰ প্ৰধান বিষয় শিল্প। তেওঁ কবিতাক কেৱল শিল্প (আর্ট) বুলি ভাৱে। তেওঁ জাপানী হাইকুৰ ওচৰতো কিছু পৰিমাণে ঋণী।

সপ্তদশ শতিকাত প্ৰথম আৰু সর্বশ্ৰেষ্ঠ হাইকু কবি মাৎচু বাশ্বোৰ হাতত ঋতুকেন্দ্ৰিক হাইকু নামৰ ক্ষুদ্ৰ কবিতাই পূর্ণতা লাভ কৰে। যৌক্তিকতা, চিত্ৰকল্প আৰু প্ৰতীকৰ ঘন বান্ধোন এই কবিতাৰ বৈশিষ্ট্য। ইয়াত কোৱা আৰু স্পষ্টতাতকৈ ইংগিতবহ আৰু অকথিত কথাখিনিহে অধিক তাৎপর্যপূর্ণ। এটা হাইকুত আছে— গছৰ ডালৰ পৰা ফুল সৰি পৰিছে, কবিয়ে ঘূৰি চাই দেখে প্ৰজাপতি। তিনিশাৰীত কবিতাটো শেষ হৈছে। ইয়াত পোৱা যায় বসন্তৰ ঐশ্বর্য, সৰি পৰা বিৰহ প্ৰকৃতিৰ নিয়ম আৰু প্ৰজাপতিয়ে গ্ৰীষ্মৰ সূচনা কৰিছে। যেন এবিধ সৌন্দর্যই আন এবিধৰ ৰূপ লৈছে। পাউণ্ডৰ কবিতাৰ নির্মাণ-কৌশল জাপানী। তেওঁ ১৯১৪ চনত পেৰিচৰ মেট্রো ষ্টেচনত কোনো এটা সময়ত সুখী মুখৰ কেইজনমান মানুহ দেখে। তেওঁ সেই দৃশ্যটি ৩০ শাৰীৰ দীর্ঘ কবিতাত লিপিৱদ্ধ কৰে। এবছৰৰ মূৰত তেওঁ এই কবিতাটো চুটি কবি দুশাৰীত অনুভূতি প্ৰকাশ কৰে। এই ছবিত কেৱল শব্দই নাই, শব্দৰ মাজেদি যেন ৰঙৰ ৰেখা আৰু সুষমা দেখা যায়। শব্দ-চয়নতো অশেষ শ্ৰম পৰিলক্ষিত হয়।

আধুনিক অসমীয়া সাহিত্য

অসমীয়া বৈষ্ণৱ-সাহিত্য ভাগৱত-পুৰাণৰ আধাৰত ৰচিত দেৱকেন্দ্ৰিক, ভক্তি-ৰসসিক্ত, প্ৰচাৰধর্মী আৰু সুখ সম্বলিত সাহিত্য। এই যুগৰ কবিসকলে প্ৰকৃতি নির্জীৱ বুলি ভাৱিলেও প্ৰকৃতি ভাৱ প্ৰকাশৰ পটভূমিস্বৰূপ আছিল। মানুহৰ দুখ-সুখ, প্ৰেম-বিৰহ আদি বৈষ্ণৱ কবিসকলৰ মুখ্য কথা নাছিল। সাহিত্যত 'প্ৰাকৃতজনৰ অনুভূতি'য়ে বিশেষ ঠাই পাইছিল। ইংৰাজৰ আমোলত আৰু পাশ্চাত্য শিক্ষাৰ প্ৰভাৱত অসমীয়া সাহিত্যৰ বিষয়-বস্তু আৰু আংগিক সলনি হ'ল। ঊনবিংশ শতিকাৰ শেষৰ ফালে অসমীয়া সাহিত্যত জোনাকীক কেন্দ্ৰ কবি ৰোমাণ্টিচিজম্ বা নৱন্যাসবাদ আন্দোলনৰ সৃষ্টি হ'ল। ৰোমাণ্টিচিজ্ ইংৰাজ কবিসকলৰ এটা জীৱন-দর্শন আছিল, যাক কেন্দ্ৰ কৰি তেওঁলোকে তেওঁলোকৰ স্বকীয় বিশিষ্টতাৰে কাব্য ৰচনা কৰে। স্বপ্ন আৰু কল্পনা হ'ল নৱন্যাসৰ প্ৰেৰণা। অসমীয়া নৱন্যাস যুগ তথা জোনাকী যুগক 'মানৱিকবাদী যুগ' বুলিব পৰি। প্ৰকৃতিও

প্রাণৱন্ত বুলি স্বীকৃত হ'ল। দ্বিতীয় মহাসমৰৰ সময়লৈকে আমাৰ সাহিত্যত নৱন্যাসবাদৰ প্লাৱন হয়। কবিতা, গল্প, উপন্যাস, নাটক, ৰম্য-ৰচনা আদি বিভিন্ন ৰূপত নতুন ভাৱধাৰাৰে পল্লৱিত হ'বলৈ ধৰিলে।

আধুনিক কবিতা সাম্প্রতিক যুগৰ সৃষ্টি। দ্বিতীয় মহাসমৰৰ উত্তৰ কালত অর্থাৎ চতুর্থ দশকত নতুন কবিতাৰ ঊষা-লগ্ন আৰম্ভ হয়। দ্বিতীয় মহাসমৰৰ ধ্বংসলীলা, বিশ্বজুৰি উদ্ভৱ হোৱা সমস্যাৱলী, নতুন মূল্যবোধ আদিয়ে তৰুণ কবিসকলৰ চিত্ত আলোড়িত কৰাত তেওঁলোকে বিষয়-বস্তু আৰু আংগিকৰ ক্ষেত্ৰত প্রকাশৰ নতুন ৰূপ বিচাৰি ল'লে। এই নতুন কবিতাই পূর্বৰ কাব্যৰূপ পৰিহাৰ কৰি মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ ৰূপ ল'লে। নতুন কবিতাৰ প্রতীকবাদ ৰোমাণ্টিক চেতনাৰে আন এটি ঢল। প্রসংগক্রমে ক'ব পৰি যে, অসমীয়া সাহিত্যৰ আদিযুগৰ চর্যাপদসমূহ প্রতীকবাদৰ অস্পষ্ট উদাহৰণ। আধুনিক কবিতাৰ বৈশিষ্ট্য হ'ল শব্দ আৰু শব্দার্থৰ নতুন ৰীতি, সূক্ষ্ম শিল্পবোধ, উপমা, ৰূপক, চিত্রকল্প আৰু প্রতীকৰ অভিনৱ প্রয়োগ, প্রাচীন প্রসিদ্ধসমূহৰ উল্লেখ, পাঠকৰ সাধাৰণ অভিজ্ঞতাৰ বাহিৰৰ বস্তুৰ বর্ণনা, সমসাময়িক যুগচেতনা, গদ্যানুগ ছন্দৰীতি ইত্যাদি। কোনো কোনো কবিতাত নতুন দৃষ্টিভংগীৰ সহায়ত জীৱনধাৰাৰ নৱ-মূল্যায়ন বিচৰাৰ প্রয়াস দেখা যায়।

আধুনিক কবিসকলৰ মানসিক দিগবলয় অতি প্রশস্ত। তেওঁলোকে চীন, জাপান, ৰাচিয়া, ফ্রান্স, ইংলেণ্ড, আমেৰিকা আদি পৃথিবীৰ বিভিন্ন দেশৰ কবিতাৰপৰা সমল আহৰণ কৰিছে। হাইকু কবিতাৰ কলাৰূপৰ অনুশীলনে চমকপ্রদ। দুই-এজন বাংলা কবিৰো অসমীয়া কবিৰ ওপৰত প্রভাৱ পৰিছে।

এচাম তৰুণ কবিৰ ৰচনাত বৈপ্লৱিক আদর্শ মূর্তৰূপত প্রকাশ পাইছে। মার্ক্সবাদী দর্শনত বিশ্বাসী এই সমাজ-সচেতন কবিসকলৰ ৰচনাত আছে গণ-জীৱনৰ বিভিন্ন দিশৰ প্রতিফলন আৰু দলিত জন-জীৱনৰ আৰতি। কিন্তু এই কবিসকলৰ কিছুমানৰ ভাৱধাৰাই জনগণৰ চিত্তক আলোড়িত কৰিব পৰা নাই যেন লাগে। জনগণৰ কাষ চাপিবলৈ হ'লে কবিয়ে নিজকে জনসাধাৰণৰ এজন বুলি ভাবিব লাগিব।

আধুনিক কবিতা দুর্বোধ্য বুলি কোনো কোনো লোকে কয়। আমি ভাবোঁ অপৰিচিত প্রতীকেও কবিতা বুজাত অন্তৰায়ৰ সৃষ্টি কৰে। চিলিৰ কবি পাব্‌লো নেৰুডা আৰু চীনৰ মাও চে তুঙৰ কবিতাত দেশৰ মাটিৰ লগত সম্বন্ধ থকা প্রতীক ব্যৱহাৰ কৰাৰ কাৰণে তেওঁলোকৰ কবিতা অধিক সমাদৃত। আমাৰ আধুনিক কবিসকলে এই বিষয়ে দৃষ্টিপাত কৰিলে অসমীয়া কবিতা-পাঠকৰ সংখ্যা বাঢ়িব।

যোৱা সত্তৰৰ দশকত আধুনিক অসমীয়া কবিতা পাশ্চাত্য আৰু জাপানী চিত্রকল্পবাদৰ প্রেৰণাত দৃঢ়তৰ ব্যঞ্জনাৰে চমকপ্রদ হৈ উঠিছে। সাধাৰণভাৱে পাৰি যে, কবিতাই মগজুতকৈ পাঠকৰ হৃদয় স্পর্শ কৰা হ'ব। প্রসংগক্রমে উল্লেখ কৰিব পাৰি যে, ইংৰাজ মেটাফিজিকেল কবিসকলে হৃদয়ৰ সংবাদতকৈ বুদ্ধিক প্রাধান্য দিয়াৰ বাবে তেওঁলোকৰ কবিতাই জনসাধাৰণৰ চিত্ত জয় কৰাত ব্যর্থ হৈছিল। গতিকে বোধহে কবিতাৰ আধাৰশিলা, বুদ্ধি নহয়।

আধুনিক অসমীয়া উপন্যাসৰ আংগিক সলনি হৈছে। পাশ্চাত্ত্য সাহিত্যৰ অধ্যয়নেও উপন্যাস ৰচনাত ৰঙণি যোগাইছে। আমাৰ দুই-এখন উপন্যাসত বাস্তৱবাদ আৰু চেতনাস্রোতৰ প্রভাৱ পৰিলক্ষিত হয়। সমসাময়িক সমস্যাৱলীয়ে উপন্যাসত ঠাই পাইছে। কিন্তু কোনো কোনো উপন্যাসত অনেক চৰিত্রৰ অৱতাৰণা কৰাৰ কাৰণে উপন্যাসৰ আঁত হেৰাই গৈছে। বাস্তৱবাদক আওকাণ কৰি অনুভূতিক প্রাধান্য দিলে জীৱনৰ প্রকৃত চিত্রণ আশা কৰিব নোৱাৰি।

যোৱা সত্তৰ দশকত বুৰঞ্জীমূলক ঘটনাক উপন্যাসৰ ৰূপ দিয়া হৈছে; লোকায়ত দর্শনৰ আধাৰত উপন্যাস ৰচিত হৈছে; সামাজিক সমস্যাই উপন্যাসত ঠাই পাইছে। অধিক কি, বাংলাদেশৰ মুক্তি-সংগ্রামো অসমীয়া উপন্যাসৰ বিষয়-বস্তু হৈছে।

আধুনিক চুটিগল্প যথেষ্ট সমৃদ্ধ। পাশ্চাত্ত্য ভাৱাদর্শৰদ্বাৰা পৰিপুষ্টি গল্পকাৰসকলে মানৱ জীৱনৰ বিভিন্নদিশক বাস্তৱ ৰূপ দিবলৈ প্রয়াস কৰিছে। যোৱা সত্তৰৰ দশকত অসমীয়া চুটিগল্পৰ আংগিকৰ নানান পৰীক্ষা-নিৰীক্ষা চলিছে। চেতনাস্রোতৰ প্রভাৱ, বিস্তীর্ণ আৱেদন, মানৱিকবাদ, সংযত প্রকাশভংগী, পাশ্চাত্ত্য মনোবিজ্ঞানীসকলৰ মনস্তত্ত্বৰ প্রভাৱ, মার্ক্সীয় দর্শনৰ প্রভাৱ, ৰচনাৰীতিৰ গতিবেগ আদি আধুনিক চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্য।

আধুনিক অসমীয়া নাট্য-সাহিত্যৰ মূল প্রেৰণা হৈছে পাশ্চাত্ত্য নাট-সাহিত্য। অংকীয়া নাটৰ নিচিনা এটা সমৃদ্ধ নাট্য

পৰম্পৰাৰ অধিকাৰী হৈয়ো বৰ্তমান সময়ত আমি তাক অনুশীলন কৰা নাই। শ্বেক্সপীয়েৰৰপৰা ব্ৰেখটলৈকে বিভিন্ন নাট্যকাৰৰ চিন্তা-চৰ্চাই অসমীয়া নাট্যকাৰক প্ৰভাৱিত কৰিছে। ব্ৰেখটীয় নাটকৰ নিৰ্মাণ-কৌশলতো অংকীয়া নাটৰ কিছু সাদৃশ্য পৰিলক্ষিত হয়। মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ ব্ৰেখটীয় নাটকত পৰিলক্ষিত হয়। এবচার্ড্ বা উদ্ভট নাট্যৰীতিৰ অৱলম্বনত নাটক ৰচিত হৈছে। সত্তৰৰ দশকত আয়োনাস্কো, ব্ৰেখট আৰু চেমুৱেল বেকেটৰ আৰ্হিৰে দুই-এখন নাটক ৰচিত হৈছে। সমাজ-সচেতনতা এই যুগৰ নাট্যকাৰসকলৰ উল্লেখযোগ্য বৈশিষ্ট্য। আমি কেইখনমান সফল নাটক পাইছোঁ। অসমৰ জটিল সমস্যাসমূহৰ ওপৰত ব্ৰেখটীয় ৰীতিৰে নাটক ৰচনা কৰিলে নাট্য-সাহিত্য সৰ্ব্বৰহী হ'ব। কিছুমান লেখকৰ আৰ্থিক দুৰাৱস্থাৰ কাৰণে নাটকৰ পাণ্ডুলিপি নষ্ট হ'বৰ উপক্ৰম হৈছে। অসমত কেইবাটাও ভ্ৰাম্যমাণ নাট্যগোষ্ঠী আছে। এই নাট্যগোষ্ঠীয়ে অসমীয়া মৌলিক নাটক ৰচনাত প্ৰেৰণা যোগাব পাৰে। মৌলিক নাটকৰ অভিনয়ে আমাৰ নাট্য-সাহিত্য সমৃদ্ধ কৰিব। ইবচেন, ছফক্লিচ, জে. বি. প্ৰিষ্টলি,পিৰান্দেলো, মিলাৰ, আলবেয়াৰ কামু, জা পল চার্ত্রে, বেকেট, ব্ৰেখট, আয়োনাস্কো আদিৰ নাটকো অনূদিত হৈছে। এবচার্ড্ নাটকৰ আৰ্হিত দুই-চাৰিখন অনাতাঁৰ নাটকো ৰচিত হৈছে। বাটৰ নাটৰ মূল প্ৰেৰণা হৈছে পাশ্চাত্য নাট্যৰীতি।

আধুনিক কালত অসমীয়া সমালোচনা-সাহিত্য বৰ বেছি পুৰঠ হৈছে বুলি ক'ব নোৱাৰি। গোষ্ঠীকেন্দ্ৰিক সাহিত্য-আলোচনা, সাহিত্য-সমালোচনাৰ অন্তৰায়স্বৰূপ। বৰ্তমান কালত আমাৰ সাহিত্যত সমালোচনাৰ ঘাইকৈ দুটা ধাৰা স্পষ্ট। এটা হৈছে সৌন্দৰ্য-সন্ধানী সমালোচনা। এইবিধ সমালোচক সৰহ। আন একশ্ৰেণী হৈছে সমাজবাদী সমালোচনা। এইবিধ সমালোচকে সাহিত্যৰ বিচাৰত মাৰ্ক্সৰ আদৰ্শক তত্ত্ব হিচাপে গ্ৰহণ কৰিছে। মানৱৰ আৱেগ-অনুভূতিক ৰাজনৈতিক দৰ্শনৰ মানদণ্ডৰে বিচাৰ কৰবলৈ গ'লে কিমান দুৰ সাহিত্যৰ যথাযথ মূল্যায়ন কৰা হয়, সেই বিষয়ে মতভেদ নোহোৱা নহয়। দৰাচলতে সমালোচক মৌলিক শিল্পী। উৎকৃষ্ট সমালোচনা মৌলিক সৃষ্টিতকৈ কোনোগুণে কম নহয়। সমালোচনা নিৰপেক্ষ আৰু বাস্তৱ হোৱা বাঞ্ছনীয়।

১৯৭৯ চন আন্তৰ্জাতিক 'শিশুবৰ্ষ' আছিল। যোৱাবছৰত আমাৰ সাহিত্যত দুই-এখন শিশু-আলোচনী প্ৰকাশ হ'ল যদিও শিশু উপযোগী বৰ বেছি পুথি প্ৰকাশ হোৱা নাই। শিশুৰ বয়স আৰু মানসিক যোগ্যতা অনুসৰি পুথি যুগুত কৰি বয়সোপযোগী ছপা আখৰেৰে সেইবোৰ ৰংচঙীয়াকৈ মুদ্ৰণ কৰিব লাগে। অসম সাহিত্য সভাই এই উপলক্ষে ডিগবৈত অনুষ্ঠিত কৰা শিশু-সাহিত্যৰ কৰ্মশালাই লেখকসকলক নিশ্চয় শিশু-সাহিত্য ৰচনাত প্ৰেৰণা যোগাব।

অসমীয়া জীৱনীসমূহো সাধাৰণতে পৰম্পৰাগত জীৱনীহে অৰ্থাৎ ঘটনাৰ বিৱৰণে প্ৰধান্য লাভ কৰে। চৰিতকাৰ জীৱনীৰ নায়কৰ গুণত প্ৰশংসামুখৰ। বিংশ শতিকাত জীৱনী ৰচনাৰ ধাৰণা সলনি হৈছে। এই যুগ জীৱনীৰ স্বৰ্ণযুগ বুলিব পাৰি। ইংৰাজী সাহিত্যত বচৱেলৰ 'লাইফ্ অব্ চেমুৱেল্ জনচন', এডমাণ্ড গচেৰ 'ফাদাৰ এণ্ড চন', আঁদ্ৰে মৰৱাৰ 'এৰিয়েল', এমিল লুডউইগৰ 'নেপোলিয়ন', লিটল ষ্ট্ৰেচিৰ 'কুইন ভিক্টোৰীয়া' আদি উল্লেখযোগ্য জীৱনী। বৰ্তমান সময়ত উপন্যাসীকৃত জীৱনী (নভেলাইজদ বায়েগ্ৰেফী) সৰ্ব্বৰহী হৈছে। টমাচ গৰহামৰ 'বাইন অব লাইফ্' আৰু 'গল্ড অব্ ডেয়াৰ বডিচ্' এই দুখন উপন্যাসৰ প্ৰথমখন ফৰাচী লেখক বালজাক আৰু দ্বিতীয়খন ইটালীৰ বিখ্যাত চিত্ৰকৰ মাইকেল এঞ্জেলৰ জীৱনভিত্তিত ৰচিত। চমাৰচেট মমৰ 'দি মুন এণ্ড চিক্স পেন্স' উপন্যাসখনৰ নায়ক এজন পৃথিৱী বিখ্যাত চিত্ৰকৰ। জনসেৱাত আত্মনিয়োগ কৰা নৰ্মান বেথুনৰ জীৱনৰ আধাৰত 'টেড এল্লান' আৰু চিডনি গৰ্ডেনে লেখা 'দি স্কালপেল, দি স্বৰ্ড' এখন সুন্দৰ জীৱনী। বিষ্ণুৰাভাৰ জীৱনৰ আধাৰত ৰচিত 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি' এটা সুন্দৰ আৰম্ভণি বুলিব পাৰি। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী, বিহগী কবি ৰঘুনাথ চৌধাৰী আদিৰ ঘটনাবহুল জীৱনৰ আধাৰত উপন্যাসীকৃত জীৱনী ৰচনা কৰিব পাৰি।

আধুনিক যুগত অসমীয়া প্ৰবন্ধ-সাহিত্য ঘাইকৈ চিন্তামূলক প্ৰবন্ধ আৰু ব্যংগ ৰচনা যথেষ্ট বুলিব নোৱাৰি। চিন্তামূলক আৰু গভীৰ প্ৰবন্ধত লেখকৰ বিদ্যা-বুদ্ধিৰ প্ৰমাণৰ উপৰি তথ্য আৰু তত্ত্ববাজিৰ সমাৱেশ আৰু ব্যক্তিগত দৃষ্টিভংগী প্ৰকাশ পায়। ব্যংগ-ৰচনাত কৃপাৰৰ ৰুৱৰা এতিয়াও অদ্বিতীয় হৈ আছে। জৰ্জ অৰৱেলৰ 'এনিমেল ফাৰ্ম' আধুনিক যুগত ব্যংগ-সাহিত্যলৈ উল্লেখযোগ্য ৰৱণি। 'অপনি অপনি বিমাৰী' শীৰ্ষক হিন্দী গ্ৰন্থত ব্যংগ-লেখক হৰিশংকৰ পৰছাইয়ে সমাজৰ

দোষ-ত্রুটী উদঙাই দেখুৱাইছে। ব্যংগ-ৰচনা জাতিৰ দোষ-দুৰ্বলতা সংশোধনৰ সহজ উপায়।

সাম্প্ৰতিক আন্দোলন

সাহিত্যৰ কথা ইমানতে এৰি এতিয়া সাহিত্যৰ ভেঁটি জাতীয় জীৱনলৈ চোৱা যাওক। অসমৰ জাতীয় জীৱন সংঘাতেৰে পৰিপূৰ্ণ। আজি শদিয়াৰপৰা ধুবুৰীলৈকে অসম অশান্ত।

স্বাধীনতাৰ সুদীৰ্ঘ তেত্ৰিশ বছৰৰ পাছতো দুৰ্বল আৰু অদূৰদৰ্শী নেতৃত্বৰ কাৰণে ৰাজনৈতিক পাশাখেলত পৰি অসমৰ জাতীয় জীৱন পংগু কৰিব পৰা সংকটৰ উদ্ভৱ হৈছে। বিদেশী নাগৰিকৰ প্ৰব্ৰজনৰ ফলত অসমীয়া জাতি ত্ৰিপুৰী জাতিৰদৰে সংখ্যালঘুত পৰিণত হোৱাৰ আশংকা কৰি সদৌ অসম ছাত্ৰ সস্থাই অসমৰ অস্তিত্বৰক্ষাৰ সংগ্ৰম কৰিছে।

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি তথা অসমৰ জাতীয় জীৱনৰ উন্নতিৰ কাৰণে ছাত্ৰসকলে বিভিন্ন সময়ত ৰঙণি যোগাই আহিছে। কলেজীয়া ছাত্ৰ জগন্নাথ বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱাই কলিকতাৰ অসমীয়া সাহিত্য সভাৰ ফালৰপৰা ১৮৭২ চনৰ ২১ মে'ত ভাৰতৰ ৰৱলাট লৰ্ড নৰ্থব্ৰুকক দিয়া অভিনন্দন-পত্ৰত ভাৰতৰ অন্যান্য প্ৰদেশৰদৰে অসমকো সমৃদ্ধিশালী কৰিব লাগে বুলি উল্লেখ কৰে। কলিকতাৰ বিভিন্ন কলেজত অধ্যয়ন কৰা ছাত্ৰসকলে অসমীয়া ভাষাউন্নতি-সাধিনী সভা (১৮৮৮) স্থাপন কৰি অসমীয়া সাহিত্যৰ অভাৱ পূৰণ কৰিবৰ কাৰণে অহোপুৰুষাৰ্থ কৰে। জোনাকী যুগৰ সাহিত্যিকসকলৰ অৱদানো অসমীয়া সাহিত্যৰ এটা সোণালী অধ্যায়। অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষা কৰা প্ৰসংগত অসম সাহিত্য সভাৰ আহ্বানত ছাত্ৰসকলে একমুঠ হৈ থিয় দি যি আন্দোলন কৰিলে, সেই আন্দোলনৰ প্ৰত্যক্ষ ফল 'অসম শাসকীয় ভাষা অধিনিয়ম' (জুন ১৯৬০)। ১৯৭২ চনত অসমীয়া ভাষাক উচ্চশিক্ষাৰ মাধ্যম কৰা সন্দৰ্ভত অসম সাহিত্য সভাৰ দাবীৰ প্ৰতি সঁহাৰি জনাই অসমৰ ছাত্ৰসকলে আন্দোলন কৰে।

বিদেশী নাগৰিকৰ প্ৰব্ৰজন অসমীয়া জাতিৰ অস্তিত্বৰক্ষাৰ পক্ষে ভয়াবহ বুলি উপলব্ধি কৰি অসম সাহিত্য সভাই ১৯৭৮ চনৰেপৰা অসম চৰকাৰক অনুৰোধ কৰি আহিছে। অসমৰ থলুৱা লোকক অৰ্থনৈতিক আৰু সাংস্কৃতিক সংকটৰপৰা ৰক্ষা কৰিবলৈ সকীয়াই অহা সত্ত্বেও ৰাজ্য চৰকাৰে চৰম উদাসীনতা অৱলম্বন কৰিলে। সভাই পুনৰ ১৯৭৯ চনত প্ৰস্তাৱযোগে (কাৰ্যনিৰ্বাহক সভা ৩০ জুন আৰু ১ জুলাই) জ্বলন্ত সমস্যাৰ প্ৰতি অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কয় যে, "চৰকাৰৰ উদাসীনতা বা অপাৰগতাই অসমৰ থলুৱা লোকক আপোন অস্তিত্বৰক্ষাৰ বাবে আন্দোলনত নামিবলৈ বাধ্য কৰিব।"

দেশ বুলি ক'লে আদেশ নেলাগে

বিদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যাটো দেশ-দেশকৈ ওলাই পৰে যোৱাধছৰ মংগলদৈ লোকসভাৰ সমষ্টিৰ ভোটাৰ তালিকা যুগুত কৰা সময়ত। উক্ত তালিকাত ছয়ত্ৰিশ হাজাৰৰ অধিক বিদেশী নাগৰিকৰ নাম পোৱা যায়। কিন্তু তাৰ ছাব্বিশ হাজাৰ নাম বাদ দিয়াৰপাছত ন্যস্ত স্বাৰ্থৰ চক্ৰান্তত ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্তই ২০-৭-৭৯ তাৰিখে নিৰ্দেশ দিয়ে যে, উক্ত সমষ্টি আৰু অন্যান্য সমষ্টিৰ ভোটাৰ তালিকাৰপৰা বিদেশী নাগৰিকৰ নাম বাদ দিয়া কাম স্থগিত ৰাখিব লাগে। বিপুল সংখ্যক বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰপৰা বাদ নিদিয়ালৈকে মধ্যকালীন নিৰ্বাচন পতাৰ নিচিনা অসংবিধানিক কাৰ্যই অসমৰ জনসাধাৰণক ক্ষুব্ধ কৰিলে। সদৌ অসম ছাত্ৰ সস্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদে অসমৰ জনসাধাৰণক পৰ্যায়ক্ৰমে যি আহ্বান জনাই আহিছে, সেই আহ্বানৰ প্ৰতি অসমৰ কৃষক, মজদুৰ, শিক্ষক, চৰকাৰী অৰ্ধ-চৰকাৰী কৰ্মচাৰী তথা অসমৰ জনসাধাৰণে অভূতপূৰ্ব সঁহাৰি জনায় ১৮ ডিছেম্বৰত অসমৰ জাতীয় অস্তিত্বৰক্ষাৰ বাবে প্ৰাণ আহুতি দিবলৈ সংকল্প গ্ৰহণ কৰি আবাল-বৃদ্ধ-বনিতা ৰাজপথলৈ ওলাই আহি অবিৰাম ন্যায়সংগত গণ-আন্দোলন কৰাৰ ফলত যোৱা লোকসভাৰ মধ্যকালীন নিৰ্বাচনত অসমৰ চৈধ্যটা সমষ্টিৰ ভিতৰত বাৰটাত নিৰ্বাচন অনুষ্ঠিত নহ'ল। সংগ্ৰামী ছাত্ৰ-ছাত্ৰীসকলৰ ভিয়েৎনামী দৃঢ়তা আৰু কৰ্তব্যনিষ্ঠা নতুন অসম গঢ়াৰ এটা সোণালী অধ্যায়। এই সংগ্ৰামত বিভিন্ন পৰ্যায়ত কেবাজনো শ্বহীদ হ'ল। এওঁলোক হ'ল খৰ্গেশ্বৰ তালুকদাৰ, দিলীপ হুজুৰী, নৃপেন বৰা, অজিত নেওঁগ, নগেন ডেকা, কুমুদ গগৈ আদি। দুলীয়াজানৰ নিষ্ঠুৰ গুলীচালনাত অনেক ঘৃণীয়া হ'ল। ন্যাস্তস্বাৰ্থৰ

নিন্দনীয় কার্যত উত্তৰ কামৰূপৰ অনেক থলুৱা বাসিন্দা গৃহহীন হ'ল। সামৰিক বাহিনীৰ অত্যাচাৰত বহুলোকে নিৰ্যাতন ভুগিলে আৰু এই বাহিনীৰ কিছুমানে অনেক নাৰীক ধৰ্ষণ কৰিলে। ন্যস্তস্বাৰ্থই আন্দোলন মষিমুৰ কৰিবৰ কাৰণে লামডিঙত যি ষড়যন্ত্ৰ কৰিলে তাৰ ফলত অনেক থলুৱা লোক ক্ষতিগ্ৰস্ত হ'ল। অৱশ্যে নদী-দ্বীপ মাজুলীৰ চামগুৰি (যাদৱপুৰ)তো ষড়যন্ত্ৰকাৰীসকল সক্ৰিয় হৈ উঠিল। উৰাবাতৰিয়ে অহেতুক উত্তেজনাৰ সৃষ্টি কৰে। অসম চৰকাৰৰ প্ৰচাৰ বিভাগৰ নিষ্ক্ৰিয়তাৰ কাৰণে বিভিন্ন ঠাইত সংঘটিত হোৱা ঘটনাৱলীৰ যথাসময়ত প্ৰকৃত বিৱৰণ প্ৰকাশ নোপোৱাৰ বাবে ভয় আৰু উত্তেজনাৰ সৃষ্টি হয়। এই বিভাগৰ ব্যৰ্থতাৰ বাবে বাহিৰৰ বাতৰিকাকতে, ঘাইকৈ কলিকতাৰ বাতৰিকাকতে অসমৰ ঘটনাৱলীৰ বিপৰীত বিৱৰণ দাঙি ধৰি অসমীয়া জাতিৰ নামত কলংক সানে আৰু সানি আছে। সম্প্ৰতি পশ্চিম বংগই ৰণচালি ধৰিছে।

সাম্প্ৰতিক আন্দোলন অসমৰ আধুনিক ইতিহাসৰ এটা গুৰুত্বপূৰ্ণ অধ্যায়। আমাৰ লেখকসকলে কবিতা, গল্প, উপন্যাস, নাটক আদিৰ জৰিয়তে এই আন্দোলনক ধৰি ৰাখিব লাগিব। জাতীয় জাগৰণৰ ঘটনাৱলী সাহিত্যত ৰামধেনুৰদৰে উজ্জ্বল হৈ থাকিব।

অসমৰ লোকসংখ্যাৰ ওপৰত হেঁচা

মাটি, বেহা-বেপাৰ আৰু চাকৰিৰ আশাত এই ৰাজ্যলৈ ভাৰতৰ বিভিন্ন ৰাজ্যৰ লোক অহাৰ উপৰিও বহিঃ ৰাষ্ট্ৰ তথা বাংলাদেশ আৰু নেপালৰপৰা অনেক লোকৰ অনুপ্ৰবেশৰ ফলত অসমৰ থলুৱা লোক সংখ্যালঘুত পৰিণত হোৱাৰ উপক্ৰম হৈছে। ১৯৪১, ১৯৫১, ১৯৬১ আৰু ১৯৭১ চনৰ লোপপিয়ল অনুসৰি জনসংখ্যাৰ বৃদ্ধি তলত দিয়াৰদৰে হৈছে।

বছৰ	লাখ	শতকৰা বৃদ্ধি হাৰ অসমত	ভাৰতত
১৯৪১	৬৬,৯৪	২০.৩৭	১৪.২
১৯৫১	৮০,২৯	১৯.৯৪	১৩.৩
১৯৬১	১,০৮,৩৭	৩৪.৯৭	২১.৬
১৯৭১	১,৪৬,১৮	৩৪.৯৫	২৪.৮
১৯৭৯	১ কৌটি ৮০ লাখ	(আনুমানিক)	

তলৰ পৰিসংখ্যাৰপৰাও ১৯৫৭-১৯৭৯ চনৰ ভিতৰত বৃদ্ধিৰ সংখ্যা স্পষ্ট হ'ব।

বছৰ	নিৰ্বাচকৰ সংখ্যা	বৃদ্ধি	শতকৰা বৃদ্ধি বছৰত
১৯৫৭	৪৪,৯৩,৩৫৭	--	—
১৯৬২	৪৯,৪২,৮১৬	৪,৪৯,৪৫৭	১০% (৫ বছৰত)
১৯৬৬	৫৫,৮৫,০৫৬	৬,৪২,২৪০	১২.৯৯% (৪ বছৰত)
১৯৭০	৫৭,০১,৮০৫	১,১৬,৭৮৯	২.০৯% (৪ বছৰত)
১৯৭১	৬২,৯৬,১৯৮	৫,৯৮,৩৯৩	১০.৪২% (১ বছৰত)
১৯৭৭	৭২,২৯,৫৪৩	৯,৩৩,৩৪৫	১৪.৮২% (৬ বছৰত)
১৯৭৮	৭৯,৭৪,৫৪৩	৭,৪৪,৯৩৩	১০.৩০% (১ বছৰত)
১৯৭৯	৮৫,৩৭,৪৯৭	৫,৬৩,০২১	৭.০৬% (১ বছৰত)

ওপৰৰ তালিকাৰপৰা বুজিব পাৰি যে, ১৯৫৭ আৰু ১৯৭০ চন এই তেৰবছৰৰ ভিতৰত নিৰ্বাচকৰ বৃদ্ধি হ'ল ১২, ০৮, ৪৪৮ বছৰি বৃদ্ধি প্ৰায় ৯২,৯৫৭ জন। ১৯৭০-৭৯ চনৰ ভিতৰত নিৰ্বাচকৰ বৃদ্ধি হ'ল ২৮,৩৫,৯৩২ জন, বছৰি প্ৰায় ৩,১৫,০৭৭ জন। এই পৰিকল্পিত বিদেশী নাগৰিকৰ প্ৰব্ৰজনে আগন্তুক লোকপিয়লৰ ভয়াবহ চিত্ৰৰ পূৰ্বাভাস দিয়ে।

অসমৰ একাধিক মুখ্যমন্ত্ৰীৰ কাৰ্যকালত বিদেশী নাগৰিকৰ প্ৰব্ৰজন চলি থাকিল। চীনৰ আক্ৰমণৰ পিছত ১৯৬২ চনত তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ অনুমোদনক্ৰমে ভোলানাথ মল্লিকে প্ৰস্তুত কৰা পি. আই. পি. (পাকিস্থানী ইনফিলট্ৰেচন প্ৰজেক্ট) আঁচনিখন কাৰ্যকৰী কৰা নহ'ল। ১৯৭১ চনৰ ২৯ নৱেম্বৰ তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰে অসম চৰকাৰক নিৰ্দেশ (পত্ৰ নং ২০০১১/১৬/৭১) দিয়ে যে, ১৯৭১ চনৰ ২৫ মাৰ্চৰ পাছত অহা কোনো বাংলাদেশী লোকক ভাৰতীয় নাগৰিকত্ব দিব নালাগে। কিন্তু এই নিৰ্দেশো কাৰ্যকৰী নহ'ল। পুনৰ ১৯৭৫ চনৰ ২৪ অক্টোবৰ তাৰিখে কেন্দ্ৰীয় চৰকাৰে বিদেশী নাগৰিক বহিষ্কাৰ সংক্ৰান্তত অসম চৰকাৰলৈ দিয়া নিৰ্দেশ ৰঙাফিটাৰ মেৰপাকত সোমাল। ১৯৭৮ চনৰ ২৪ অক্টোবৰ তাৰিখে উত্তকামণ্ডত বহা মুখ্য নিৰ্বাচনী বিষয়াসকলৰ এখন সভাত ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্তই ভাষণ প্ৰসংগত কৈছিল, "নিৰ্বাচনী ফোটাৰ তালিকাত বহুসংখ্যক বিদেশীৰ নাম থকা বুলি উত্তৰ-পূৱ অঞ্চলৰপৰা কিছুমান উদ্বেগজনক বাতৰি পোৱা গৈছে।" তেওঁ আৰু কয় যে, ১৯৬১চনৰপৰা ১৯৭১ চনলৈকে এইখন ৰাজ্যৰ জনসংখ্যা শতকৰা ৩৪.৯৮ বৃদ্ধি হৈছে আৰু এই বৃদ্ধিৰ মূল কাৰণ হৈছে প্ৰতিবেশী ৰাষ্ট্ৰৰপৰা অনুপ্ৰবেশ। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদে ১৯৭৯ চনৰ ২৭ ডিছেম্বৰপৰা অসমৰ তেল বাহিৰলৈ পৰিবহন বন্ধ কৰি যি পৰিস্থিতিৰ সৃষ্টি কৰে, তাৰ ফলত কেন্দ্ৰীয় চৰকাৰে অসমৰ সমস্যা সমাধানৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী আৰু গৃহমন্ত্ৰী শ্ৰীগিয়ানী জেইল সিঙৰ লগত দিল্লীত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰথমবাৰ আলোচনা চলে। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ দিল্লীত চলা আলোচনা প্ৰলপ্ৰসূ নহল। বিদেশী নাগৰিক বহিষ্কৰণ সম্পৰ্কে দিল্লীৰ সিদ্ধান্ত যিয়েই নহওক লাগে অসমৰ জাতীয় জাগৰণৰ কালত আমি অসমৰ নৱ-নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰি অধিক দায়িত্ব বনহ কৰিবলৈ সক্ষম হ'ব লাগিব।

অনপ্ৰসৰ অসম

স্বাধীনোত্তৰ কালত অসম কিদৰে বঞ্চিত হৈছে, তাৰ দুটামান দৃষ্টান্ত তলত দিয়া হ'ল –

১/ অসম খনিজ সম্পদত চহকী হ'লেও ইয়াৰ তৈলক্ষেত্ৰত বছৰি উৎপাদন হোৱা ৪ নিযুত টনৰো অধিক খাৰুৱা তেলৰ বেছিভাগ বাৰাউনি শোধনাগাৰলৈ যায়। গুৱাহাটী শোধানাগাৰৰ ক্ষমতা হ'ল ০.৭৫ নিযুত টন। ডিগবৈ শোধনাগাৰৰ ০.৪৫ নিযুত টন আৰু বঙাইগাঁওৰ ১ নিযুত টন। খাৰুৱা তেলৰ বাবদ অসমে প্ৰতি টনত ৪২ ৰয়েল্‌টি পায়। কিন্তু বৰ্তমান এই তেলৰ এক টনৰ মূল্য হ'ল ১৬০০ টকা, অৰ্থাৎ ৮৪০ কোটি মূল্যৰ তেলৰ বাবদ অসমে ২২ কোটি টকা ৰয়েল্‌টি পায়।

২/ ঔদ্যোগিক পৰিকল্পনাৰ অভাৱত অসমৰ তৈলক্ষেত্ৰৰ দিনৌ ৩০ নিযুত ঘনফুট প্ৰাকৃতিক গেছ পুৰি পেলোৱা হৈছে। ইয়াৰ ফলত অসমৰ জলবায়ু কিছু পৰিমাণে দূষিতকৰণো হৈছে।

৩/ চাহ-উদ্যোগে বছৰি ২৭০ নিযুত কিলোগ্ৰাম চাহ উৎপাদন কৰি চাৰিশ কোটি টকা অৰ্জন কৰে; কিন্তু এই উদ্যোগৰ কেন্দ্ৰীয় কাৰ্যালয়সমূহ কলিকতাত। গতিকে অসমে এটা বুজন পৰিমাণৰ আয়ৰপৰা বঞ্চিত হয়।

৪/ গাংগা নদীৰ ওপৰত প্ৰায় ১৯ খন দলং, কিন্তু ব্ৰহ্মপুত্ৰৰ ওপৰত এখনহে দলং। বিভিন্ন ৰাজ্যত নদী পৰিকল্পনা হৈছে; কিন্তু ব্ৰহ্মপুত্ৰ নদীক নিয়ন্ত্ৰণ কৰাৰ সুনিশ্চিত পৰিকল্পনা গ্ৰহণ কৰা নাই।

৫/ অসমৰ বনাঞ্চলসমূহ লুণ্ঠন কৰা হৈছে। ৰাষ্ট্ৰীয় বন-নীতি অনুযায়ী অসমৰ হাবি সংৰক্ষণ কৰিব লাগে। অসমত প্লাইউড উদ্যোগ ৪০ টা হৈছেগৈ। কিন্তু এই উদ্যোগসমূহে চাহ-বাহিচাৰ বাবে যি পৰিমাণে চাহ-বাকচ সাজিব লাগে তাৰ শতকৰা ৫০ ভাগ উৎপন্ন নকৰে। এই উদ্যোগসমূহৰ উৎপাদিত সামগ্ৰীৰ শতকৰা ৮০ ভাগ অসমৰ বাহিৰত অৱস্থিত মাল গুদামবোৰলৈ স্থানান্তৰিত কৰি শতকৰা ৬০০ ভাগ লাভ কৰে। কেন্দ্ৰীয় চৰকাৰে অসমৰ প্লাইউড সামগ্ৰীৰপৰা বছৰি ৬ কোটিৰো অধিক টকা কৰ ৰূপে পায়। কিন্তু ৰাজ্য চৰকাৰে পায় মাথোন ৩৫ লাখ টকা। অসমৰ বেছিভাগ বাঁহ বাহিৰলৈ

পঠিওৱা হৈছে।

৬/ উত্তৰ-পূৱ সীমান্ত ৰেলপথৰ শতকৰা ৬০ ভাগ অসমৰ মাজেদি গৈছে। কিন্তু এই ৰেলত নিয়োজিত হোৱা অসমীয়া লোকৰ সংখ্যা শতকৰা ১০ জনো নহয়। ইয়াৰ উপৰি লামডিঙত ডিভিজনেল মেনেজাৰৰ কার্যালয় স্থানে বাংলাদেশী লোক নিয়োগৰ সুবিধা দিছে। অসমত স্থাপিত কেন্দ্রীয় চৰকাৰৰ কার্যালয়তো অসমীয়া মানুহে নিয়োগৰ সুবিধা নাপায়। এই চাকৰিবোৰ যেন অসমৰ মানুহৰ কাৰণে নহয়।

৭/ অসমৰ ৰেল-ব্যৱস্থা মুঠেই সন্তোষজনক নহয়। স্বাধীনোত্তৰ কালত প্রতিৰক্ষাৰ বাবে তেজপুৰৰপৰা উত্তৰ লক্ষীমপুৰলৈ এটা সৰু ৰেলপথ হৈছে। অন্য ৰাজ্যত বিদ্যুতচালিত ৰেলগাড়ী চলে। একাধিক ব্রডগজ ৰেলপথ আছে। অসম এই সকলোৰেপৰা বঞ্চিত।

অনগ্রসৰ অসমৰ এই হতাশজনক অৱস্থাৰ কাৰণে জনসাধাৰণে সোণৰ অসম শোষিত আৰু বঞ্চিত বুলি ভাবে।

আঞ্চলিক বৈষম্য

ভাৰতবর্ষ এখন স্বাধীন ৰাষ্ট্র। দেখাত প্রতিখন ৰাজ্যৰ ৰাজনৈতিক, অর্থনৈতিক আৰু সামাজিক স্বাধীনতা সমান হ'লেও বাস্তৱক্ষেত্রত ভাৰতৰ বিভিন্ন ৰাজ্যৰ প্রাকৃতিক সম্পদৰ লগত তথা জনসংখ্যাৰ লগত অর্থনৈতিক উন্নতিৰ বিশেষ সম্পর্ক নাই। ইয়াৰ ফলত আঞ্চলিক বৈষম্যই দেখা দিছে।

জনমূৰি আয় - জনমূৰি আয়ৰ ক্ষেত্রত দেখা যায় যে পঞ্জাব, হাৰিয়ানা, মহাৰাষ্ট্র, গুজৰাট, কর্ণাটক আদি ৰাজ্যৰ আয়ৰ তুলনাত অসম, বিহাৰ, উড়িষ্যা আদি ৰাজ্যৰ আয় অতি কম।

জনমূৰি আয় : (টকা হিচাবত, স্থিৰ মূল্যত)

ৰাজ্য	১৯৬০-৬১		১৯৭০-৭১	
	জনমূৰি আয়	সর্বভাৰতীয় অনুসূচী - ১০০	জঃ আঃ	সঃ ভাঃ আঃ
অসম	২৫৪	৮১.৯	২৮৫ (৬৯-৭০)	৮২.১
বিহাৰ	২১৬	৬৯.৭	২১৬ („)	৬২.২
হাৰিয়ানা	৩২৭	১০৫.৫	২১৬ („)	১২৬.৮
গুজৰাট	৩৮৮	১২৫.২	২১৬ („)	১১২.৫
উড়িষ্যা	২৫১	৮১.০	২১৬ (৬৮-৬৯)	৭১.৮
পঞ্জাব	৩৭৬	১২১.৩	২১৬ (৬৯-৭০)	১৩৫.৪
--	--	--	--	--
--	--	--	--	--
ভাৰত	৩১০	১০০.০	৩৪৭	১০০.০

জনমূৰি আয় : (প্রচলিত মুদ্রামূল্যত)

চন	অসম	ভাৰত
৫০—৫১	২৯০.৭	২৬৫.০
৬০—৬১	৩১১.১	৩০৫.৬
৭০—৭১	৫২৩.১	৬৩৭.০

প্ৰথম পৰিকল্পনা কালত (১৯৫১-৫৬) অসমৰ জনমূৰি আয় বৃদ্ধি পায় মাত্ৰ ৭.২ শতাংশ; আনহাতে সৰ্বভাৰতীয় বৃদ্ধৰ হাৰ ১০.৬ শতাংশ; দ্বিতীয় পৰিকল্পনা কালত এই বৃদ্ধিৰ হাৰ সৰ্বভাৰতীয় হাৰতকৈ কম। তৃতীয় পৰিকল্পনাৰ আৰম্ভণিৰপৰা চতুৰ্থ পৰিকল্পনা শেষ হোৱালৈকে অসমৰ জনমূৰি আয় বৃদ্ধি সৰ্বভাৰতীয় হাৰতকৈ কম; বহুৰি ৫/৬ টকাতকৈ বেছি বৃদ্ধি হোৱা নাই।

অসমত পৰিকল্পনাৰ বিনিয়োগ

১ম পৰিকল্পনা (৫১-৫৬) - ২১.০৬ কোটি

২য় পৰিকল্পনা (৫৬-৬১) - ৫৭.০৯ কোটি

৩য় পৰিকল্পনা (৬১-৬৬) - ১২০.০০ কোটি

(অপৰিকল্পিত বছৰসমূহ)

৪র্থ পৰিকল্পনা (৬৯-৭৪) - ২২৩.০০ কোটি

৫ম পৰিকল্পনা (৭৪-৭৯) - ১৯৮৩.০০ কোটি

পৰিকল্পনাৰ কালছোৱাত মুঠ বিনিয়োগৰ সামান্য অংশহে বৃহৎ শিল্প উদ্যোগত ব্যয় হয়। ১ম ২য় আৰু ৩য় পৰিকল্পনাত বৃহৎ শিল্পৰ ক্ষেত্ৰত বিনিয়োগ আওকাণ কৰিব পাৰি।

১৯৫৬ চনৰপৰা ১৯৬৬ চনলৈকে ভাৰত চৰকাৰে যি পৰিমাণে ঔদ্যোগিক লাইচেন্স দিছিল তাৰ ভিতৰত অসমে পায় ১.০৮ শতাংশ (প্ৰকৃত); মহাৰাষ্ট্ৰই ২৫.৩৮ শতাংশ; পশ্চিমবংগই ১৬.৩১ শতাংশ; তামিলনাড়ুৱে ৮.৯৬ শতাংশ; গুজৰাটে ৮.৬৬ শতাংশ; পঞ্জাবে ৭.৪৫ শতাংশ ইত্যাদি।

পৰিকল্পনা ব্যয় — ১৯৫১ চনৰ পৰা ১৯৬৯ চনৰ ভিতৰত বিভিন্ন ৰাজ্যৰ জনমূৰি ব্যয় তলত দিয়া ধৰণৰ —

অসম - ৩৪.০০ টকা, তামিলনাড়ু —৬৯.৬০ টকা, মধ্যপ্ৰদেশ - ১২১.৬০ টকা, পশ্চিমবংগ — ১০৫.৯০ টকা, বিহাৰ - ৯১.৯০ টকা, কেৰলা - ৪৩.৭০ টকা ইত্যাদি। অসমত জনমূৰি সাৱ, বিজুলীশক্তি আৰু তীখাৰ ব্যৱহাৰ নিম্নতম। এই আঞ্চলিক বৈষম্যবোৰেই অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ উজ্জ্বল নিদৰ্শন।

এখন ৰাজ্যৰ অৰ্থনৈতিক উন্নতিৰ ওপৰতো সাহিত্য-সংস্কৃতি নিৰ্ভৰ কৰে। অসমক অৰ্থনৈতিকভাৱে সবল কৰিবলৈ হ'লে শ্ৰমৰ মৰ্যাদা বুজিব লাগিব। কোনো কাম বা শ্ৰম সৰু নহয়। আঁচনি কৰি প্ৰণালীবদ্ধভাৱে সৰুসুৰা কামৰপৰা ব্যৱসায় কৰালৈকে সকলোবিধ কাম থলুৱা মানুহে কৰিলে অসমৰ বাহিৰলৈ যোৱা ধন এই ৰাজ্যতে ব্যয় হ'ব। শ্ৰমিকবাহিনী গঠন কৰি মাটি কটা, আলিবাট বন্ধা, গৃহনিৰ্মাণ আদি কাম কৰিলে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পৰা যাব। জাতীয় চৈতন্য উদয় কালত আমি অৰ্থনৈতিকভাৱে সবল আৰু স্বাৱলম্বী হোৱাৰ সংকল্প আৰু আঁচনি গ্ৰহণ কৰি আগবাঢ়ি যাব লাগিব।

অসম চৰকাৰে মাহিলি বাৰশ টকা দৰ্মহা পৰ্যন্ত সকলো চাকৰি থলুৱা লোকৰ কাৰণে সংৰক্ষণ কৰিব লাগে। অসমত স্থাপিত কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয় আৰু বিভিন্ন উদ্যোগৰ চাকৰিত থলুৱা লোকে নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পাব লাগে।

· অসম সাহিত্য সভা আৰু শাখা সভা

অসম সাহিত্য সভা অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান। অসমীয়া সাহিত্য-সংস্কৃতিৰ শ্ৰীবৃদ্ধি সাধন কৰাৰ উপৰি জাতীয় জীৱন বিপন্ন কৰিব পৰা সকলোপ্ৰকাৰ প্ৰচেষ্টাক সভাই প্ৰতিৰোধ কৰি আহিছে। সভাই ভাষা-সমস্যাৰ ওপৰত গুৰুত্ব দি আহিছে যদিও ভাষা-সাহিত্য প্ৰচাৰত বিশেষ ভূমিকা লৈছে আৰু সাহিত্য সৃষ্টিত প্ৰেৰণা যোগাইছে।

অসম সাহিত্য সভাৰ ছশৰো অধিক শাখা আৰু স্বীকৃত সভা আছে। কিন্তু সেইবোৰ সমানে সক্ৰিয় নহয়। শাখাসমূহৰ উদ্যোগৰ ওপৰত অসম সাহিত্য সভাই ঘাইকৈ নিৰ্ভৰ কৰে আৰু সিবোৰ জীৱন্ত জাগ্ৰত শক্তিশালী অনুষ্ঠান হ'লে মূল সভাও অধিক শক্তিশালী হ'ব। শাখা সভাই মূল সভাৰ আঁচনি অনুসৰি কাম কৰাৰ উপৰি নিজ নিজ পৰিসৰৰ ভিতৰত কাম কৰিব পাৰে। কিছুমান শাখা সভাৰ স্থায়ী ভৱন আছে আৰু কিছুমান শাখাই উল্লেখযোগ্য কাম কৰিছে। প্ৰতি শাখাই বাৰ্ষিক অধিবেশন পাতিব লাগে। একেবাহে তিনিবাৰ বাৰ্ষিক অধিবেশন পাতিব নোৱাৰিলে চতুৰ্থ বছৰত মূল সভাই শাখাৰ কাৰ্যনিৰ্বাহক সভা ভংগ কৰি নতুন কাৰ্যনিৰ্বাহক গঠন কৰাৰ ব্যৱস্থা নিয়মাৱলীৰ অন্তৰ্ভুক্ত কৰিলে শাখাসমূহ অধিক কাৰ্যক্ষম হ'ব।

ইতিমধ্যে অসম চাহ মজদুৰ ছাত্ৰ সন্থাই প্ৰতিখন চাহ বাগিচাতে অসম সাহিত্য সভাৰ শাখা খোলাৰ প্ৰস্তাৱ গ্ৰহণ কৰি এটা বাস্তৱ পৰামৰ্শ আগবঢ়াইছে। এই বিষয়ে সভাই কাৰ্যকৰী ব্যৱস্থা ল'ব লাগে।

অসম সাহিত্য সভাৰ নিয়াৰলীত জিলা পৰিষদৰ ব্যৱস্থা কৰা হৈছে। কিন্তু সকলো জিলাতে পৰিষদ গঠন হোৱা নাই। জিলা পৰিষদসমূহ কার্যক্ষম হ'লে শাখা সভাসমূহ সংগঠন কৰাৰ সুবিধা হ'ব। পৰিষদসমূহে মূল সভা আৰু শাখা সভাসমূহৰ মাজৰ সংগঠনৰূপে কাম কৰিব পাৰে। সাহিত্য সভাই সংগঠনৰ প্ৰতি অধিক মনোযোগ দিব লাগে।

অসম সাহিত্য সভাৰ কার্যনির্বাহক সমিতিৰ কার্যকাল দুবছৰীয়া হ'ব লাগে বুলি বহুতে কয়। এই ব্যৱস্থা কার্যকৰী কৰিব পাৰি যদিহে বিষয়ৱৰীয়াসকলক দুবছৰৰ কাৰণে বাখি সাধাৰণ সাধাৰণ সদস্যৰ আধাভাগৰ কার্যকাল বার্ষিক অধিবেশনৰ (প্ৰথম বছৰৰ) লগতে শেষ বুলি ধৰি বিক্ত স্থান অধিবেশনৰ বিষয়-বাছনি সভাতে পূৰণ কৰাৰ ব্যৱস্থা কৰা হয়। বিষয়ৱৰীয়া নির্বাচনত ভোটৰ বাকচত প্ৰাধান্য অশোভনীয় যেন লাগে।

প্ৰকাশন

অসম সাহিত্য সভাই গ্ৰন্থ প্ৰকাশ কৰিছে। সভাই ভাষা শিক্ষাৰপৰা আৰম্ভ কৰি ৰেণ্য সাহিত্যিকসকলৰ ৰচনাৰলীলৈকে নানা গ্ৰন্থ প্ৰকাশ কৰিছে। শিশু জ্ঞানকোষ সম্পাদনাৰ কাম আৰম্ভ কৰিছে। প্ৰকাশনৰ ক্ষেত্ৰত সাহিত্য সভাই হ্ৰস্বম্যাদী আৰু দীর্ঘম্যাদী আঁচনি ল'ব লাগে।

অসম সাহিত্য সভাই আঁচনি কৰি পূর্ণাংগ ব্যাকৰণ আৰু বৃহৎ অসম বুৰঞ্জী যুগুত কৰিব লাগে। আমাক এখন বৃহৎ অসমীয়া অভিধান লাগে। অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা আধুনিক অভিধানে আখৰ-জোঁটনিত আউল লগালে। কিছু বছৰৰ আগত গুৱাহাটী বিশ্ববিদ্যালয়ে চন্দ্ৰকান্ত অভিধানৰ তৃতীয় সংস্কৰণ সংশোধন আৰু প্ৰকাশন ব্যৱস্থাৰ দায়িত্ব লৈছিল; কিন্তু এই পুথি কেতিয়া প্ৰকাশ হ'ব জনা নাযায়। আমাক আঞ্চলিক অভিধান আৰু জনজাতি ভাষাৰ অভিধান লাগে। ইতিমধ্যে কাৰ্বি অভিধান প্ৰকাশ হৈছে। আঞ্চলিক অভিধান আৰু বড়ো, মিচিং আদি জনগোষ্ঠীৰ অভিধানৰপৰা বছা বছা শব্দ বৃহৎ অমসীয়া অভিধানৰ অন্তর্ভুক্ত কৰিব পাৰি। ভাষা প্ৰচাৰ ক্ষেত্ৰত চাহ মজদুৰৰ পৰিবেশৰ উপযোগী পুথি যুগুত কৰিলে শিক্ষা সম্প্ৰসাৰণ খৰতকীয়া হ'ব। কৃষিজীৱী ন-অসমীয়াসকলৰ উপযোগী পুথিও আমাক লাগে। এই বিষয়ে চৰকাৰৰ সামাজিক শিক্ষা বিভাগৰো দায়িত্ব আছে।

অসম সাহিত্য সভাৰ একাধিক সভাপতিয়ে অসমৰ প্ৰাচীন পুথি সংৰক্ষণৰ কথা উল্লেখ কৰি গৈছে। পুৰণি পুথি উৱলি গৈছে। সভাই এই পুথিসমূহ সংগ্ৰহ কৰিলে বা সিৰোৱৰ একোটা প্ৰত্যায়িত নকল বাখিব পাৰিলে পুৰণি অসমীয়া সাহিত্য চর্চা আৰু গৱেষণাৰ সুবিধা হ'ব। মূল সভাই শাখা সভাসমূহকো কিছুদূৰ এই কামৰ দায়িত্ব দিব পাৰে।

অসমীয়া সংস্কৃতি এটা মিশ্রিত সংস্কৃতি। বিভিন্ন জাতি-উপজাতিৰ সংমিশ্রণত এই সংস্কৃতিয়ে গঢ় লৈ উঠিছে। একোটা জাতি-উপজাতিৰ প্ৰাণৰ স্পন্দন সোমাই থাকে লোকগীতত। শদিয়াৰপৰা ধুবুৰীলৈকে বিভিন্ন জাতি-উপজাতিৰ মাজত প্ৰচলিত লোকগীতসমূহ পর্যায়ক্ৰমে বৈজ্ঞানিকভাৱে সংকলন আৰু সম্পাদনা কৰি প্ৰকাশ কৰিলে আমাৰ অনুভূতিৰ পৰিসৰ বাঢ়িব আৰু জাতীয় ঐক্য দৃঢ় কৰাত সহায়ক হ'ব। লোকগীত সংকলন প্ৰসংগত চীনদেশৰ খানী লোকসকলৰ মাজত প্ৰচলিত বিয়া-বাৰুত বাঁহীৰ সহায়ত গোৱা অশ্বমা নামৰ সুদীর্ঘ গীতটোৰ কথা উল্লেখ কৰিব পাৰি। ১৯৫৩ চনত কেইজনমান লেখক আৰু শিল্পী খানী নামৰ ভাষিক সখ্যালঘু বাস কৰা পার্বত্য অঞ্চললৈ গৈ অশ্বমা গীতৰ এটা পূর্ণ সংকলন কৰে। পাছৰ বছৰ সেই গীতটো চীনা ভাষালৈ অনুবাদ কৰাত ই সমাদৰ লাভ কৰে। এই গীতৰ ইংৰাজী অনুবাদে গীতটো অধিক সৰবহী কৰে। আমাৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত লোকগীতসমূহ এনেদৰে সংগ্ৰহ কৰিব পাৰি। অসম সাহিত্য সভাই ইতিমধ্যে গোৱালপৰীয়া লোকগীত আৰু কামৰূপীয়া লোকগীত নামৰ দুখন পুথি প্ৰকাশ কৰিছে। আংশিকভাৱে ঝুমুৰ গীতৰ পুথি প্ৰকাশ কৰিছে। এতিয়া প্ৰণালীবদ্ধভাৱে অন্যান্য লোকগীত সংকলন আৰু সম্পাদনা কৰি প্ৰকাশ কৰিলে আমাৰ বর্ণাঢ্য সংস্কৃতিৰ কথা প্ৰকাশ পাব আৰু জাতীয় জীৱন অধিক সমৃদ্ধ হ'ব।

আখৰ-জোঁটনি

অসমীয়া আখৰ-জোঁটনিৰ বেমেজালি দূৰ কৰিবৰ উদ্দেশ্যে অসম সাহিত্য সভাই ১৯৭৮ চনত এটি শিবিৰ আয়োজন কৰি শিবিৰৰ পৰামর্শাবলী পুস্তিকা আকাৰে যুগুত কৰি বাইজৰ মতামত আহ্বান কৰিছে। ইতিপূর্বে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে অসমীয়া ভাষাৰ আখৰ জোঁটনি আৰু লিপ্যান্তৰ পদ্ধতি শীর্ষক এখন পুস্তিকা প্ৰকাশ কৰিছে। আখৰ জোঁটনিৰ ক্ষেত্ৰত মতান্তৰৰ অভাৱ নাই। আভিধানিক হেমচন্দ্ৰ বৰুৱাই কৈছে – "আমাৰ ভাষাৰ বর্ণনিন্যাস

তিনিপ্রকাৰে কৰা যায়- প্ৰথমে উচ্চাৰণ অনুসৰি, দ্বিতীয়তে শব্দৰ মূলৰদৰে, তৃতীয়তে জনা লোকসকলে বহুদিন চলোৱা নিয়মমতে। কিন্তু বৰ্ণবিন্যাসৰ কথাত উচ্চাৰণেই ঘাইবাট দেখাওঁতা। এতেকে যদি মূল শব্দৰ আখৰ বাখিলে কোনো অসমীয়া শব্দৰ উচ্চাৰণ লবে, তেনেহ'লে তাৰ মূললৈনেচাই উচ্চাৰণৰ অনুগামী হ'ব লাগে" (পঢ়াশলীয়া অভিধান)। গতিকে আমি বহুদিন ধৰি চলোৱা নিয়মো মানি চলিব লাগিব। এই বিষয়ত হেমকোষৰ নিয়ম মানি চলিলে আখৰ-জোঁটনিৰ বেমেজালি কিছুদূৰ কমিব যেন লাগে।

আখৰ-জোঁটনি উপ-সমিতিৰ প্ৰতিবেদনৰ কথাখিনি সাধাৰণভাৱে সমৰ্থন কৰিলেও দুই-এটা কথাত আমাৰ দৃষ্টিভংগী প্ৰকাশ নকৰি নোৱাৰিলোঁ –

১/ (ঘ) লেখক/লিখক এই দুটা শব্দৰ 'লেখক' শব্দক প্ৰাধান্য দিব লাগে, বিকল্প লিখক শব্দ থাকিব।

২/ (চ) কেৰাহি আৰু কেৰাহীবেলেগ অৰ্থত ব্যৱহাৰ হয়। কেৱল 'কেৰাহি' শব্দটোৰে দুয়োটা অৰ্থ প্ৰকাশ কৰিবলৈ গ'লে অসুবিধা হ'ব পাৰে। হাতুৰি, কাছাৰি আৰু কুঠৰিৰ শব্দত ঈৰ পৰিৱৰ্তে ই ব্যৱহাৰসমৰ্থন কৰা টান।

(ঞ) উনৈশৰপৰা পঞ্চাশলৈকে সংখ্যাবোৰক শেষৰ শ, চ, ছ এই তিনিটা বৰ্ণৰ সলনি শ আৰু চ এই দুটা বৰ্ণ ধৰিলেও হয়। কিমানজনে 'সুৰেন' শব্দৰ শুদ্ধ উচ্চাৰণ কৰে?

(ণ) জিৰণি, ৰেঙণি, কামোৰণি আদি প্ৰচলিত ৰূপ বুলি ধৰিলেও হয়।

৪/ (ক) লিপ্যন্তৰ পদ্ধতিত ...-ৰে বুজোৱা উচ্চাৰণ 'শ্ব' লিখিলেও অসুবিধা নহয়।

অসম শাসকীয় ভাষা অধিনিয়ম

১৯৬০ চনৰ অসম শাসকীয় ভাষা অধিনিয়মখন আজিকোপতি পূৰ্ণ প্ৰয়োগ নেহোৱাতো বৰ পৰিতাপৰ কথা। যোৱা বছৰটো অসম চৰকাৰে 'ভাষাবৰ্ষ' বুলিঘোষণা কৰিছিল যদিও, অসমীয়া নজনা চৰকাৰী বিষয়া বা আমোলাসকল হুস্বম্যাদী প্ৰশিক্ষণ দিয়াৰ বাহিৰে এতিয়ালৈকে আইনখন কাৰ্যকৰী কৰাৰ অধিক ব্যৱস্থা গ্ৰহণ কৰা নাই। বিভাগীয় বিষয়াসকলৰো কোনো কোনো ক্ষেত্ৰত উৎসাহৰ অভাৱ। অসম চৰকাৰে সোনকালে কাৰ্যালয়সমূহত অসমীয়া লিখন যন্ত্ৰ ক্ৰয় আৰু আৱশ্যকীয় কৰ্মচাৰী নিয়োগ কৰি এই বছৰৰ ভিতৰতে উক্ত অধিনিয়মখন সম্পূৰ্ণভাৱে সকলা পৰ্যায়তে কাৰ্যকৰী কৰিব লাগে। অসমীয়া ভাষাই আঞ্চলিক ভাষাৰ মৰ্যাদা পালেও অসমৰ অনা-অসমীয়া বিদ্যালয়সমূহত অসমীয়া ভাষা শিক্ষাৰ মাধ্যম নহয়। ভাৰতৰ অন্যান্য ৰাজ্যত এনে দৃষ্টান্ত নাই। অসম চৰকাৰে অনা-অসমীয়া বিদ্যালয়সমূহৰ সমুদায় ব্যয় বহন কৰে। সেইকাৰণে এই বিদ্যালয়সমূহত অসমীয়া ভাষা ঐচ্ছিক বিষয়ৰূপে (কিন্তু বাধ্যতামূলকভাৱে) শিকোৱাৰ ব্যৱস্থা থাকিব লাগে। তেনে কৰিলে হিন্দী আৰু বঙলা-ভাষী ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় স্তৰত আঞ্চলিক ভাষা তথা সহজে অসমীয়া মাধ্যমত পাঠদান গ্ৰহণ কৰিব পাৰিব। অসমত স্থাপিত কেন্দ্ৰীয় বিদ্যালয়সমূহতো আৰু উঃ পূঃ ৰেলৰ বঙলা মাধ্যমৰ উচ্চ বিদ্যালয়সমূহতো আঞ্চলিক ভাষা তথা অসমীয়া ভাষা বিষয় হিচাপে শিক্ষা দিয়াৰ ব্যৱস্থা থাকিব লাগে। আবেগিক ঐক্য আৰু সংহতি দৃঢ় কৰাত আঞ্চলিক ভাষাৰ গুৰুত্ব অধিক।

শিলচৰ অনাতাঁৰ কেন্দ্ৰৰ জৰিয়তে অসমীয়া কাৰ্যসূচী প্ৰচাৰ নোহোৱাটো বৰ বিসদৃশ কথা। শিলচৰ তথা কাছাৰৰ থলুৱা অসমীয়া লোকৰ স্বাৰ্থৰ খাতিৰত আৰু অসমৰ আঞ্চলিক ভাষাক ন্যায্য স্থান দিবৰ কাৰণেও উক্ত কেন্দ্ৰই অসমীয়া কাৰ্যসূচী প্ৰচাৰ কৰা বাঞ্ছনীয়। অসমৰ সংহতি আৰু সম্প্ৰতি বজাই ৰখাৰ কাৰণেও শিলচৰ অনাতাঁৰ কেন্দ্ৰই বঙলাৰ লগতে অসমীয়া কাৰ্যসূচীৰো ব্যৱস্থা কৰিব লাগে।

আঞ্চলিক ভাষাত পুথি প্ৰণয়ন

গুৱাহাঁটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰাক্-বিশ্ববিদ্যালয় আৰু স্নাতক পৰ্যায়ৰ বাবে অসমীয়া ভাষাত পাঠ্যপুথি যুগুত কৰিছে যদিও পাঠ্যপুথিৰ অভাৱ পূৰণ হোৱা নাই। ইতিমধ্যে প্ৰকাশিত পাঠ্যপুথিবোৰৰ আসোঁৱাহ দূৰ কৰি সিবোৰত আৱশ্যকীয় নতুন তথ্য-পাতি সন্নিবিষ্ট কৰি আৰু বাকী থকা বিষয়সমূহৰ পুথি প্ৰণয়ন কৰাই ১৯৮০-৮১ চনৰ ভিতৰত পাঠ্যপুথি প্ৰণয়নৰ কাম সম্পূৰ্ণ কৰিব লাগে। আমাক অসমীয়াত প্ৰাসংগিক পুথিও লাগে।

লোকপিয়ল

১৯৮১ চনৰ লোকপিয়লৰ প্ৰাৰম্ভিক কাম ইতিমধ্যে আৰম্ভ হৈছে। কিন্তু সাম্প্ৰতিক আন্দোলনৰ মূল কথা বিদেশী

নাগৰিকৰ সমস্যা সমাধান নোহোৱাকৈ আগন্তুক লোকপিয়লৰ প্ৰাৰম্ভিক কাৰ্য তথা গৃহ-তালিকা প্ৰস্তুত কৰা কাম হাতত ল'লে বিদেশী নাগৰিকৰ নাম নিশ্চয় অন্তৰ্ভুক্ত হ'ব। অসমৰ লোকগণনাৰ দিন যিমানেই চমু চাপি আহিছে কোনো কোনো মহল সিমানেই সক্ৰিয় হৈ উঠিছে।এই বিষয়ত অসম সাহিত্য সভাৰ শাখা আৰু স্বীকৃত সভাবিলাকৰ গধুৰ দায়িত্ব আছে। দুৰভিসন্ধিকাৰীৰ চক্ৰান্তত যাতে আমাৰ সংহতি বিনষ্ট নহয় তাৰবাবে সজাগ হৈ থাকিব লাগিব। অসমত বসবাস কৰা সকলো লোকেই আমাৰ আপোন। যিসকলে এই ৰাজ্যক নিজৰ ঘৰ বুলি ভাবি অসমৰ জাতীয় জীৱনৰ লগত মিলি গৈছে বা যিসকলে স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি অসমীয়া জীৱনৰ লগত সহৃদয়তা স্থাপন কৰিছে, সেইসকলেও নিশ্চয় সুখী আৰু উন্নত অসম গঢ়ি তোলাত সহায় কৰিব। এই ৰাজ্যত বসবাস কৰা কোনো এটা বিশেষ সম্প্ৰদায়ক অসমীয়া বুলিব নোৱাৰি। কিন্তু জাতি-বৰ্ণ-ধৰ্ম-ভাষা নিৰ্বিশেষে জনজাতি আৰু অ-জনজাতি সকলো লোকেই অসমীয়া। অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰা এই ৰাজ্যৰ অধিবাসীসকলৰ এটা পবিত্ৰ কৰ্তব্য।

থলুৱা ভাষাৰ গৱেষণা

বড়ো, মিচিং, কাৰ্বি আদি জনগোষ্ঠীৰ থলুৱা ভাষাসমূহৰ উন্নতিকল্পে পূৰ্বত সভাই প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই ভাষাসমূহৰ বিকাশ সাধনত সভাই কাৰ্যকৰী ব্যৱস্থা ল'ব লাগে। ইয়াৰ কাৰণে আমাক ভাষা-গৱেষণাগাৰ লাগে। প্ৰস্তাৱিত বাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'লে এনে গৱেষণাগাৰ স্থাপনৰ সুবিধা হ'ব।

উক্ত ভাষাসমূহৰ অভিধান প্ৰণয়নৰ কথা ওপৰত উল্লেখ কৰা হৈছে। মুঠ কথা থলুৱা ভাষাসমূহৰ বিকাশ আৰু উন্নতিৰ হকে অসম সাহিত্য সভা যত্নপৰ হ'ব লাগে। অসমীয়া জীৱনৰ প্ৰাণৰ স্পন্দন এই থলুৱা ভাষা আৰু সংস্কৃতিৰ ভিতৰত নিহিত আছে।

সুধীসকল! অসমৰ জাতীয় জীৱনৰ এটা সন্ধিক্ষণত আমি এই সাহিত্য ক্ষেত্ৰত সমবেত হৈছোঁ। আমাৰ কেউফালে সংগ্ৰাম। আপোনালোকক নক'লেও হ'ব যে, অসমীয়া জাতিয়ে বিভিন্ন ক্ষেত্ৰত কেইবাখনো শৰাইঘাট অতিক্ৰম কৰিবলগীয়া হৈছে। অসমীয়া ভাষা পুনৰ প্ৰচলন, অসমত শোধনাগাৰ স্থাপন, অসমীয়া ভাষাক ৰাজ্যভাষা কৰা, অসমীয়া ভাষাক উচ্চ শিক্ষাৰ মাধ্যম কৰা আদি আমাৰ সংগ্ৰামৰ একো-একোটা স্তম্ভ। এতিয়া লোকগণনাৰ প্ৰাক্‌কালত অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম আৰম্ভ হৈছে। জীৱনৰ আন এটা নাম সংগ্ৰাম। অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে, যি জনজাগৰণে দেখা দিছে সেই জাগৰণৰ কালত আৱেগ-অনুভূতিক প্ৰাধান্য নিদি আমি মানসিকভাৱে সাজু হৈ অসমৰ সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ আঁচনি কৰি কামত আগবাঢ়ি যাব লাগিব। আমাৰ ভাগ্য আমি নিজেই ৰচনা কৰিব লাগিব। অসমীয়াই আত্মপ্ৰতিষ্ঠা কৰাৰ এয়ে সুবৰ্ণ সুযোগ। অসমত বসবাস কৰা সকলো শ্ৰেণীৰ লোকৰ সমুহীয়া প্ৰচেষ্টাৰ ওপৰতে অসমৰ উন্নতি নিৰ্ভৰ কৰিছে। উদ্দীপনাপূৰ্ণ গীত-কবিতাৰে অসম মুখৰিত হওক। আমি নিজ শক্তি অনুসৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে ৰণুৱা যাচি অসম মাতৃৰ মুখ উজ্জ্বল কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব।

সদৌ শেহত আপোনালোকক ইমান পৰে আমনি কৰাৰ বাবে যেন নিজগুণে দোষ মৰিষণ কৰে। সমূহ বাহিজক সেৱা জনাই আৰু অসমীয়া-সাহিত্যৰ উন্নতি কামনা কৰি আপোনালোকৰপৰা বিদায় মাগিলোঁ। আকৌ সকলোৱে একেটা সুৰতে সুৰ মিলাই কওঁ - জয় অসমৰ জয়। জয় অসমীয়া ভাষাৰ জয়। জয় অসমীয়া জাতিৰ জয়।

কবি নলিনীবালাদেৱীৰ ভাষাৰে কওঁ --

"আজি যুগ-সন্ধিৰ উত্তাল তৰংগ ভেদি
মুঠি বান্ধি এই জাতি উঠিব লাগিব।"

'জয় আই অসম'

-- * --

অষ্টচত্বাৰিংশ অধিবেশন

তিনিচুকীয়া, ১৯৮১ খ্ৰীঃ

সীতানাথ ব্ৰহ্মচৌধুৰী

অভ্যৰ্থনা সমিতৰি সভাপতি, অসম সাহিত্য সভাৰ বিদায়ী সভাপতি, সাহিত্যিক প্ৰতিনিধি সকল আৰু অসমীয়া সাহিত্যানুৰাগী সুধীবৃন্দ, সৰ্বপ্ৰথমে মই আপোনালোকক মোৰ অন্তৰৰ শ্ৰদ্ধা জনাইছোঁ। অসম এখন ঐতিহ্যপূৰ্ণ প্ৰাচীন দেশ, অসমীয়া জাতি এটা মহানজাতি, অসমীয়া ভাষা এটা অতি উন্নত ভাষা, অসম সাহিত্য সভাও এটা বৃহৎ অৰাজনৈতিক জাতীয় অনুষ্ঠান। এই মহৎ অনুষ্ঠানৰ সভাপতি হবৰ যোগ্যতা মোৰ নাই। মই উচ্চ শ্ৰেণীৰ সাহিত্যিক নহওঁ, অসমীয়া ভাষা আৰু সাহিত্যৰ অনুৰাগী অতি সামান্য কবি মাত্ৰ। মোৰ নিজৰ ক্ষুদ্ৰ শক্তিৰে আজীৱন দেশৰ আৰু জাতিৰ সেৱা কৰিবৰ চেষ্টা কৰি আহিছোঁ মাথোন। কিন্তু তথাপি আপোনালোকে মোক এই সম্মানিত আসনত বহুৱাইছে। মোৰ অজ্ঞতা আৰু দোষ ত্ৰুটি আপোনালোকে পদে পদে দেখিবলৈ পাব। আপোনালোকে মোৰ দোষ ক্ষম কৰে যেন। এই দায়িত্বপূৰ্ণ কামত সকলো সময়তে আপোনালোকৰ সহযোগীতা কামনা কৰিছোঁ।

প্ৰথমতে আমি ফঁহিয়াই চাব লাগিব অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ জন্ম কেনেকৈ হ'বলৈ পালে। প্ৰাক-ঐতিহাসিক যুগৰ পৰাই অসমত মঙ্গোলীয়, দ্ৰাবিড়, আৰ্য্য গোষ্ঠীৰ মানুহ একেলগে বাস কৰি আহিছে। বহুযুগ ধৰি একেলগে বাস কৰাৰ ফলত এওঁ বিলাকৰ ভাবৰ আদান প্ৰদান হ'ল আৰু কালক্ৰমত এটা মিশ্ৰিত জাতিত পৰিণত হ'ল আৰু সৃষ্টি হ'ল এটা মিশ্ৰিত ভাষাৰো। প্ৰত্যেক জনগোষ্ঠীৰে বেলেগ বেলেগ ভাষা আছিল। এই মিশ্ৰিত ভাষাই অসমীয়া ভাষাৰ গুৰি। ইয়াৰ পিছত ১২২৮ খৃষ্টাব্দত আহোমসকল আহি যেতিয়া এই দেশত প্ৰবেশ কৰিলে, তেতিয়া তেওঁলোকে এই দেশত যথেষ্ট প্ৰভুত্ব বিস্তাৰ কৰিলে। আহোমসকল আছিল দূৰদৃষ্টিসম্পন্ন। তেওঁলোকে নিজৰ ভাষা ত্যাগ কৰিলে একমাত্ৰ এই কাৰণত যে আহোম ভাষাকে ধৰি থাকিলে চিৰদিনেই তেওঁলোক বিদেশী বুলি পৰিগণিত হৈ থাকি যাব। তেওঁবিলাকে তেতিয়াৰ অসমীয়া ভাষাকে গ্ৰহণ কৰি অসমীয়া ভাষাৰ বিস্তাৰৰ সহায়ক হ'ল। ৰাজশক্তিৰ সহায় পাই অসমীয়া ভাষাৰো যথেষ্ট বিস্তাৰ হ'ল।

মঙ্গোলীয় গোষ্ঠীৰ ভিতৰত বড়ো গোষ্ঠী এটা বিৰাট জনগোষ্ঠী। বড়োসকলে গোটেই অসমতে বিস্তৃতি লাভ কৰিছিল আৰু বিস্তৃতি লাভ কৰিছিল বড়োভাষাও। অসমৰ নগৰ, নদ-নদী, পৰ্বত-পাহাৰ আদিৰ নামেই তাৰ প্ৰমাণ দিয়ে। দুখৰ বিষয়, তেওঁবিলাকৰ ভাষা কোনোদিনেই লিখিত ভাষাত পৰিণত হোৱা নাছিল। তেওঁ বিলাকৰ নিজা কোনো লিপি (Script) আছিল বুলি প্ৰমাণ পোৱা নাযায়। অধিকাংশ বড়োগোষ্ঠীৰ মানুহ অসমীয়া ভাষা আৰু আৰ্যগোষ্ঠীৰ লগত চিৰকাললৈ মিলি গ'ল। বাকী অংশ যিসকল থাকিল, ভাষাৰ ক্ষেত্ৰত পদে পদে পিছু�ৰাই আহিব লগা হ'ল।

অসমৰ সকলো জনগোষ্ঠীৰ মাজত অসমীয়া ভাষা আছিল 'সৰ্ব-সাধাৰণ ভাষা' (Lingna Franca)। এইদৰে লাহে লাহে অসমীয়া জাতি আৰু অসমীয়া ভাষাই বিকাশ লাভ কৰিলে আৰু অসমীয়া জাতি এটা বিৰাট জাতিত পৰিণত হোৱাৰ সপোন দেখিলে। আহোমসকলৰ দূৰদৃষ্টিসম্পন্ন কৰ্মধাৰাৰ ফলত এই দেশৰ নাম অসম হ'ল। ভাষাৰ নামো হ'ল অসমীয়া। ইয়াৰ পৰাই দেখা যায় অসমীয়া জাতি সকলো জনগোষ্ঠীৰে মিশ্ৰিত জাতি। অসমীয়া ভাষা সকলো জনগোষ্ঠীৰে সানমিহলি

ভাষা। ইয়াত অসমৰ প্ৰত্যেক জনগোষ্ঠীৰে বিৰাট অৱদান আছে। এই কাৰণে অসমীয়া জাতিৰ পৰা কোনো জনগোষ্ঠীক বেলেগ বুলি ভাবিবৰ কাৰণ নাই।

কিন্তু সকলো জনগোষ্ঠীৰ মানুহ একেবাৰে মিলি গ'লনে? তেওঁ বিলাকে এতিয়াও নিজস্ব ভাষা আৰু সংস্কৃতি বেলেগে ৰক্ষা কৰিবৰ চেষ্টা কৰা নাইনে? এতিয়াও বড়ো, লালুং, মিচিং, কাৰ্বি, ৰাভা ইত্যাদি জনগোষ্ঠী বিলাকে নিজৰ নিজৰ ভাষা আৰু সংস্কৃতি ৰক্ষা কৰিবৰ চেষ্টা কৰি আহিছে। এতিয়া এইবিলাক সমস্যা বাঢ়িব নিদি, বিভেদৰ সৃষ্টি নকৰি এটা সমাধানৰ সূত্ৰ উলিয়াবৰ চেষ্টা কৰিলেহে অসমৰ যথার্থ মংগল সাধন কৰা হ'ব।

জনজাতীয় গোষ্ঠীৰ মানুহ বিলাকে এতিয়া নিজা নিজা ভাষাৰ মাধ্যমতা শিক্ষাদানৰ ব্যৱস্থা কৰিবলৈ লৈছে। এই বিষয়ত বড়োসমাজ কিছুদূৰ আগবাঢ়িছে। বড়ো ভাষাৰ মাধ্যমত শিক্ষাদান বড়ো অঞ্চল বিলাকত এতিয়া প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী পৰ্যন্ত আগবাঢ়িছে। হয়তো দুই এবছৰৰ ভিতৰত স্নাতক মহলালৈকে উঠিব আৰু ক্ৰমাৎ আগবাঢ়ি গৈ থাকিব। কাৰ্বি ভাষাৰ মাধ্যমতো শিক্ষাদান কিছুদূৰ আগবাঢ়িছে। মিচিং ভাষাৰ মাধ্যমত শিক্ষাদানৰ ব্যৱস্থাৰ বিষয়ে মিচিং নেতাসকলে ভবাগুণা কৰি আছে। এই বিলাক জনজাতীয় ভাষাৰ মাধ্যমত শিক্ষাদান জনজাতীয় মানুহৰ যথার্থ মংগল সাধিবনে? এটা জাতিৰ উন্নতি কৰোঁতে যেনেকৈ শ শ বছৰৰ চেষ্টা লাগে, তেনেকৈ এটা ভাষাৰ উন্নতিৰ ক্ষেত্ৰতো শ শ বছৰৰ চেষ্টাৰ আৱশ্যক। তাৰ উপৰিও এই বিলাক জনজাতিৰ সংখ্যা নিচেই তাকৰীয়া। গতিকে এই বিলাক জনজাতীয় ভাষাৰ সর্বাংগীন উন্নতি শ শ বছৰৰ পাছতো সম্ভবপৰ নহয়। এই কাৰণেই ৰাজশক্তি হৈয়ো আহোমসকলে তেওঁলোকৰ নিজস্ব ভাষা ত্যাগ কৰি অসমীয়া ভাষাকে মাতৃভাষা বুলি গ্ৰহণ কৰিছিল আৰু অসমীয়া ভাষাৰে উন্নতি সাধনৰ ব্যৱস্থা কৰিছিল।

কিন্তু ভাষা এটা ত্যাগ কৰা ইমানেই সহজনে? ই এটা ভাবাবেগৰ (Sentiment) কথা। বাধা দিলে আৰু বেছি প্ৰবল হৈ উঠে। অসম চৰকাৰে বড়ো ভাষাৰ প্ৰচলনত নানা ধৰণৰ বাধা সৃষ্টি কৰাৰ ফলত এই ভাষা এতিয়া প্ৰবলভাৱে চলিল।

মোৰ মনেৰে বড়ো ভাষাৰ মাধ্যমত শিক্ষাদানৰ ব্যৱস্থা চলিছে, চলি থাকক। নিজা নিজা ভাষা সকলোৱে ভাল পায়। নিজৰ ভাষা ভালপোৱাত বাধা দিয়া কেতিয়াও উচিত নহয়। কিন্তু অসমীয়া ভাষা ৰাজ্যভাষা। ই গোটেই অসমৰে প্ৰচলিত ভাষা। বড়ো ভাষাৰ মাধ্যমত শিক্ষাদানৰ ব্যৱস্থা কৰিলেও অসমীয়া ভাষাৰ শিক্ষাত কোনো বাধা থাকিব নালাগে। অসমীয়া ভাষা হিচাপে শিক্ষাদান বড়ো ভাষাৰ উচ্চ মাধ্যমিক বিদ্যালয়বোৰৰ শেষ পৰীক্ষালৈকে অৱশ্যে পাঠ্য হ'ব লাগে। এনে ব্যৱস্থাই বড়ো সমাজক বিৰাট অসমীয়া জাতিটোৰ লগত ভাবৰ আদান প্ৰদান আৰু মিলি যোৱাৰ বাট সুগম কৰিব।

অসমীয়া ভাষীয়ে বড়ো ভাষা শিকিব নালাগে নেকি? অসমীয়া জাতিৰ বিৰাট অংশ বড়ো জাতিৰ পৰাই অহা। অসমৰ বহু নদ-নদী, পাহাৰ পৰ্বত, নগৰ আদিৰ নাম বড়ো ভাষাৰ। বড়ো ভাষা অতি প্ৰাচীন ভাষা। অতীতৰ বুৰঞ্জীৰ বিষয়ে গৱেষণা কৰিবলৈ হ'লে বড়ো ভাষা জনাৰ প্ৰয়োজন আছে। আপোনালোকে বড়ো, ভাষা শিকক, অসম, উত্তৰবংগ, নেপাল আদি দেশৰ পৰ্বত পাহাৰ, নদ-নদী আৰু বহুতো নগৰ আৰু অঞ্চলে আপোনা আপুনি আপোনালোকক অতীতৰ কথা ক'ব। অসমীয়া উচ্চ মাধ্যমিক স্কুলবোৰতো বড়ো ভাষাৰ শিক্ষাদান চলিব পাৰে, বিশেষকৈ বড়ো অঞ্চলৰ উচ্চ মাধ্যমিক বিদ্যালয় বিলাকত। প্ৰয়োজন হ'লে বড়ো ভাষা শিকা অনাবড়ো ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তিৰ (Scholarships) ব্যৱস্থা কৰা উচিত হ'ব। ইয়াৰ দ্বাৰা বড়ো আৰু অনাবড়ো সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত সৌহার্দ্য বাঢ়ি উঠিব আৰু এইদৰে একতাৰ বান্ধোনেৰে আবদ্ধ হ'লে দেশৰ মংগল হ'ব। দেশৰ মংগল কৰিবলৈ হ'লে বহল অন্তঃকৰণৰ প্ৰয়োজন। এইবোৰ বিষয়ে বিস্তাৰিত আলোচনা কৰি সমাধানৰ সূত্ৰ বিচাৰি উলিয়ালে নিশ্চয় দেশৰ মংগল হ'ব।

আলোনালোকে জানে, অসমত এইদৰে বঙালী আৰু হিন্দী-ভাষী ল'ৰা-ছোৱালী বিলাকক বঙালী নাইবা হিন্দী ভাষাৰ মাধ্যমত শিক্ষাদান চলি আহিছে। সেই বিলাক স্কুলতো অসমীয়া ভাষা অৱশ্যে পাঠ্য কৰা হোৱা নাই। কিয় কৰা হোৱা নাই? বঙালী আৰু হিন্দী ভাষী ল'ৰা-ছোৱালী বিলাকে অসমীয়া ভাষা শিকিব নালাগে নেকি? তেওঁলোকে যি দেশত বাস কৰে সেই দেশৰ ৰাজ্যভাষাৰ লগত পৰিচিত হ'ব নালাগে নেকি? অসম সাহিত্য সভাই এই বিষয়ত এবাৰ মাতো মাতিছেনে? ভাষা সম্বন্ধে

অসম চৰকাৰৰ দুৰ্বল নীতিয়েই ইয়াৰ কাৰণে দায়ী নহয় নে?

আমি অচিৰতে এই বিষয়ৰ মীমাংসা কৰিবৰ চেষ্টা কৰা উচিত হ'ব। অসম চৰকাৰো এই বিষয়ত আগুৱাই আহিব লাগিব। আমি দীৰ্ঘদিন এই বিষয়ে নীৰৱ হৈ থাকিব নোৱাৰোঁ। নীৰৱ হৈ থাকিলে অসমৰ কাৰণে ঘোৰ অমংগল মাতি অনা হ'ব।

অসমীয়া জাতিৰ সংজ্ঞা কি? অসমীয়া জাতি কোন? কেৱল ব্ৰাহ্মণ-কলিতাই অসমীয়া নে? নহয়। কেৱল বড়ো, ৰাভা, মিচিং ইত্যাদি জনগোষ্ঠীৰ মানুহবিলাকেই অসমীয়া নে? কেতিয়াও নহয়। এই সকলো গোষ্ঠীৰ একতাৰ বলতহে বলিষ্ঠ অসমীয়া জাতি। একতা নষ্ট হৈ দলাদলি হ'লেই অসমীয়া জাতিৰ মৰণ। গতিকে অসমীয়া জাতিটো জীয়াই থাকিবলৈ হ'লে আমি সকলোৱে মিলিজুলি থাকিব লাগিব।

অসমীয়া জাতি মৰিবনে? অসমীয়া ভাষা মৰিবনে? দুয়োটাই নমৰে। কেতিয়াও মৰিব নোৱাৰে? আমাৰ আত্মবিশ্লেষণৰ সময় আহিল। অসমীয়া জাতিৰ গঠন বুজিব লাগিব। অসমীয়া জাতি অসমৰ সকলো জনগোষ্ঠীৰ এটা মিশ্ৰিত জাতি। ইয়াৰ কোনো অংগ গোষ্ঠীক অবহেলা কৰিবৰ ক্ষমতা আমাৰ নাই। অসমীয়া ভাষাও সৰ্বসাধাৰণৰ মিশ্ৰিত ভাষা আৰু আদিৰ পৰাই এই ভাষা 'সৰ্বসাধাৰণ ভাষা' (Lingua Franca) হিচাপে ব্যৱহৃত হৈ আহিছে আৰু এতিয়াও হ'ব। বাহিৰৰ কোনো শক্তিয়ে অসমীয়া জাতি আৰু অসমীয়া ভাষাক মাৰিব নোৱাৰে। বাহিৰা শক্তিৰ হেঁচাঠেলাৰ মাজতো এই জাতি আৰু ভাষা ক্ৰমাৎ উন্নতিৰ পথত আগবাঢ়ি গৈ থাকিব। কাৰণ আমি অসমৰ সকলো গোষ্ঠীৰ মানুহ একতাৰ দোলেৰে বান্ধ খাই মিলিজুলি বাস কৰি আহিছোঁ, পৰস্পৰৰ প্ৰতি পৰস্পৰে শ্ৰদ্ধা ৰাখি। অসমীয়া মানুহৰ সংখ্যা কমিবনে? নকমে। অসমীয়া কোৱা মানুহৰ সংখ্যা ক্ৰমাৎ বাঢ়ি আহিছে আৰু বাঢ়ি থাকিব। বড়ো বা অন্যান্য জনগোষ্ঠীৰ মানুহো নিজা নিজা প্ৰাপ্য অংশ পোৱাত অৰ্থাৎ নিজৰ নিজৰ গোষ্ঠীৰ ভাষা চলিব দিয়াত সন্তুষ্ট মনে অসমীয়া ভাষা আকোৱালি ধৰিব। আমাক এতিয়া কেৱল লাগে জাতি গঠনৰ কাৰণে উপযোগী উন্নত সাহিত্যৰ ৰচনা। আমাৰ সাহিত্যিকসকল এনেকুৱা উন্নত আৰু উদাৰ মন লৈ সাহিত্য ৰচনা কৰিব লাগিব য'ত এই জনগোষ্ঠীৰ মানুহ বিলাকৰ প্ৰতি উপহাস, আওহেলা বা ঘৃণাতো প্ৰকাশ নাপায়েই বৰং মৰম আৰু শ্ৰদ্ধা প্ৰকাশ পায়। অসমৰ সকলো জনগণকে বুকুত সাৱটি ল'ব পাৰিলেহে অসমীয়া সাহিত্যৰ যথাৰ্থ বিকাশ হ'ব। আমাৰ সাহিত্যিকসকলৰ ওচৰত এই কথাটোকে নিবেদন কৰিব খুজিছোঁ।

উদয়াচল আৰু সহযোগী বড়ো ভাষা

আজি কেইবছৰমান আগৰ পৰাই কেইজনমান বড়ো নেতাই বড়ো জাতি অধ্যুষিত গোৱালপৰা জিলাৰ উত্তৰাংশ, কামৰূপ জিলাৰ উত্তৰাংশ, দৰং জিলাৰ উত্তৰাংশ আৰু উত্তৰ লক্ষীমপুৰ জিলাৰ উত্তৰাংশ লৈ উদয়াচল প্ৰদেশ গঠন কৰাৰ প্ৰস্তাৱ আলোচনা কৰি আহিছে।

কিন্তু বড়ো ভালেমান চিন্তাশীল নেতাই এই প্ৰস্তাৱত সহাঁৰি দিয়া নাই। কাৰণ অসম দেশ আকৌ বিভাজন হ'লে অসমৰতো মংগল নহয়েই বড়ো জাতিৰ মানুহ বিলাকৰো কোনো সুবিধা নহয় ৰৱং বড়ো জনগোষ্ঠীৰ আত্মহত্যা কৰাৰ বাটহে প্ৰশস্ত কৰি দিয়া হ'ব। তাৰ উপৰিও এইবোৰ অংশকলৈ উদয়াচল প্ৰদেশ গঠন কৰাৰ কথা নানা কাৰণত সম্ভৱো নহয়। ই অবাস্তৱ আৰু কাল্পনিক।

উদয়াচল দাবী কিয় উঠাৰ লগা হ'ল? এইটো কথা সঁচা যে, এইবিলাক জিলাৰ উত্তৰাঞ্চলত অৰ্থাৎ যিবিলাক অঞ্চলত বড়ো মানুহ আৰু অন্যান্য জনজাতীয় লোকে ঘন বসতি স্থাপন কৰিছে, সেই বিলাকত শিক্ষাৰ অনুষ্ঠান, চিকিৎসালয়, আলি-পদুলি, খেতিৰ উপযুক্ত ব্যৱস্থা ইত্যাদিৰ ব্যৱস্থা নিচেই কম। এইবোৰৰ কাৰণে সেই অঞ্চলৰ মানুহ বিলাকে তেওঁলোকক অৱহেলিত বুলি ভাৱ পোষণ কৰি আহিছে। তাৰ ফলত নতুন প্ৰদেশ গঠনৰ কথা মনত উদয় হোৱা স্বাভাৱিক। ইয়াৰ কাৰণে অসম চৰকাৰৰ আৰু তাৰ শাসন ব্যৱস্থা সম্পূৰ্ণৰূপে দায়ী। অসম চৰকাৰে এইবোৰ দায়িত্ব এবাই যাব নোৱাৰে।

ইয়াৰ পিছত এতিয়া দাবী উঠিছে যে, বড়ো ভাষা অসমীয়া ৰাজ্য ভাষাৰ সহযোগী ভাষা হ'ব লাগে। বড়ো ভাষা এই দেশৰে ভাষা (Language of the Soil)। এই দেশৰ অধিকাংশ বড়োসকলে এই ভাষাত কথা কয়। অৱশ্যে এইটো কথা

সঁচা যে, বড়োসকলৰ কেবালাখ মানুহো বড়ো ভাষা ত্যাগ কৰি অসমীয়া ভাষাকে মাতৃভাষা হিছাপে গ্ৰহণ কৰিছে। আৰু এতিয়াও কৰি আছে। বৰ্তমানে যিমান বিলাক মানুহ বড়ো ভাষাত কথা কয় সেইবিলাকৰো শতকৰা আশী জনেই অসমীয়া ভাষা বুজে আৰু ক'ব পাৰে।

আমাৰ বড়ো মানুহবিলাকৰ একাংশই অসমৰ ৰাজ্য ভাষা অসমীয়াৰ লগত বড়ো ভাষাও সহযোগী ৰাজ্যভাষা হ'ব লাগে বুলি দাবী উঠাইছে।

আমি জেদ কৰি কোনো বস্তুৰ দাবী কৰিলেই সেই বস্তু পাব নোৱাৰোঁ। পোৱাৰ সম্ভাৱনা, সময়, সুবিধা আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ কথাও ভাবি চাব লাগিব। অযুক্তিকৰ দাবীবোৰে বহুত সময়ত তিক্ততাৰ সৃষ্টি কৰে মাথোন।

সহযোগী ভাষাৰ অৰ্থ কি? সহযোগী ভাষাৰ জৰিয়তে কি কি কাম কৰা হ'ব সহযোগী ভাষা কিমানদূৰ প্ৰচলিত হ'ব, তাৰ মানদণ্ড কি, অৱশ্যে এইবোৰ কথা এতিয়া ভাবি চাবৰ হ'ল। কিয় সহযোগী ভাষাৰ দাবী কৰিব লগা হ'লে, এইবোৰ কথাও পৰীক্ষা কৰি চোৱাটো উচিত হ'ব।

অসমীয়া আখৰৰ লিপি বড়োই গ্ৰহণ কৰিছিল। বৰ্তমান বড়ো ভাষাৰ মাধ্যমত শিক্ষাদান প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীলৈকে চলিছে। অসম চৰকাৰে একো সহানুভূতি নেদেখুৱাত বৰং বহুতো হকাবধা জন্মোৱাৰ ফলত অধিকাংশ বড়ো মানুহ চৰকাৰৰ গোটেজই অসমীয়া জাতিৰ ওপৰত আক্ৰোশ ভাব জন্মিল। প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে এই সুযোগ গ্ৰহণ কৰিলে আৰু তেওঁৰ চেষ্টাৰ ফলত বড়ো নেতৃসকলে দেৱনাগৰী লিপি গ্ৰহণ কৰিলে। বড়ো জাতিৰ জীৱনত অন্ধকাৰ নামি আহিল।

বৰ্তমান নিম্ন প্ৰাইমাৰী স্কুললৈকে দেৱনাগৰী লিপি চলি আহিছে। অসমীয়া লিপিত চলা বড়ো ভাষা এতিয়া প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীলৈকে চলিছে। এটা ভাষাৰ দুই ৰকমৰ লিপি (Script) থাকিব পাৰে নেকি? পৃথিবীৰ কোন দেশত তেনে ব্যৱস্থা আছে? বড়োসকল দুভাগ হৈ প্ৰাচীৰৰ দ্বাৰা পৰিবেশিষ্টত হ'ল। দেশত বিভেদ, অসন্তোষ, বিভাজন আৰু ধ্বংসৰ বীজ ৰোপিত হ'ল। এই ধ্বংশৰ মুখৰপৰা বড়ো জাতিৰ লোকক আৰু বিভাজনৰ পৰা অসমীয়া জাতিক ৰক্ষা কৰিবলৈ কোনে আগবাঢ়ি আহিব?

লংকা দাহৰ পিছত হনুমানৰ নেজৰ জুই হনুমানে নিজেই নুমাব লগা হৈছিল। বড়ো জাতিৰ ভাষা আৰু লিপি সমস্যাৰ কথাও বড়ো নেতাসকলেহে সমাধান কৰিব লাগিব। লোকক হিংসা কৰি, জেদ কৰি আমি আমাৰ উন্নতি সাধিব নোৱাৰোঁ।

ধীৰভাৱে চিন্তা কৰি বড়োসকলে অসমীয়া লিপিকে গ্ৰহণ কৰাহেঁতেন, আনবোৰ সমস্যা আহি নপৰিলহেঁতেন। এনে ব্যৱস্থাত বড়োসকলেও অসমীয়া ভাষা শিকাত সুবিধা পালেহেঁতেন আৰু অসমীয়া ভাষীসকলেও বড়ো ভাষা শিকাত সহজ হ'লহেঁতেন। তাৰ ফলত আমাৰ জাতীয় সংহতিত বাধা নপৰিলহেঁতেন। এতিয়া অসমীয়া আৰু বড়োৰ মাজত এটা বিৰাট প্ৰাচীৰ গঢ়ি তোলা হ'ল। আমি পৰস্পৰে ভিন্নমুখী হলোঁ।

বড়োসকলক লিপি পৰিবৰ্তনত বাধ্য কৰাটো অসম চৰকাৰ আৰু কিছুমান অদূৰদৰ্শী নেতাহে; অসমৰ জনসাধাৰণৰ তাৰ বাবে দায়ী নহয়। এই কথাটো আমাৰ বড়োসকলে মনত ৰাখিলে সুখী হ'ম।

এই বিষয়ত পলম হৈ গ'ল। কিন্তু এতিয়াও কিছু সময় আছে। এতিয়াও বড়ো নেতাসকলক এই লিপি সম্পৰ্কে পুনৰ ভাবি চাবলৈ অনুৰোধ কৰিব নোৱাৰিনে? অসমীয়া লিপিকে গ্ৰহণ কৰিলে অসমৰ আৰু বড়োৰ যথাৰ্থই মংগল নহবনে?

বুৰঞ্জী আৰু ভূগোল

আমাৰ উচ্চ মাধ্যমিক বিদ্যালয় বিলাকত বুৰঞ্জী আৰু ভূগোল অৱশ্য পাঠ্য নহয়। পৃথিবীৰ কোন সভ্য দেশত নিজৰ দেশৰ বুৰঞ্জী আৰু ভূগোল নিশিকায়? নিজক চিনিবৰ চেষ্টা কৰাৰ পিছত, নিজৰ গাঁও, প্ৰতিবেশী, নিজৰ দেশ আৰু নিজৰ প্ৰতিবেশী দেশৰ কথা একো জানিব নেলাগে নেকি? দেশৰ মংগলৰ কাৰণে বুৰঞ্জী আৰু ভূগোল উচ্চ মাধ্যমিক বিদ্যালয়ৰ শেষ পৰীক্ষা পৰ্যন্ত পঢ়াৰ ব্যৱস্থা কৰা উচিত নহবনে?

অসমৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় বিলাকত বুৰঞ্জী পঢ়োৱা হয়। কিন্তু অসমৰ বুৰঞ্জী পঢ়ায়নে? নপঢ়ায়। কিন্তু

নপঢ়ায়? উপযুক্ত কিতাপৰ অভাৱত নে?

অসমৰ অতীত আৰু বৰ্তমানৰ বুৰঞ্জীত জনসাধাৰণৰ কথা, সভ্যতা, কৃষ্টি আৰু ঐতিহ্যৰ কথাবোৰ বিস্তৃতভাৱে ঠাই পাইছেনে? নিশ্চয় পোৱা নাই। কিয় পোৱা নাই? অসম চৰকাৰে মন দিয়া নাই। বিশ্ববিদ্যালয় বিলাকে আওকান কৰিছে। অসমৰ চিন্তাশীল মনিষীসকলে এই বিষয়ে ভবা নাই কিয়? এইবোৰ বিষয়ে যথেষ্ট সংখ্যক কিতাপ ৰচনা হ'ব লাগিছিল বহু আগতে। বিশ্ববিদ্যালয় বিলাকত আৰু মহাবিদ্যালয় বিলাকত বুৰঞ্জী বিভাগত অসম বুৰঞ্জী অবশ্য পাঠ্য হোৱাটো উচিত হ'ব। আগেয়ে নিজৰ দেশক চিনিব লাগিব, জানিব লাগিব নিজৰ জাতিৰ অতীতৰ কথা, সভ্যতা, কৃষ্টি আৰু ঐতিহ্যৰ কথা আৰু অতীতৰ ওপৰত থিয় দি নিজৰ জাতিৰ আশা আকাংক্ষা আৰু ভৱিষ্যতৰ কথা। দুখৰ বিষয় এই যে, আমাৰ দুখন বিশ্ববিদ্যালয়তো স্নাতকোত্তৰ মহলাত বুৰঞ্জী বিভাগত অসমৰ বুৰঞ্জী পঢ়োৱা নহয়।

অনা-অসমীয়া বিদ্যালয়

অসমৰ উপত্যকাত বঙালী, হিন্দী আদি বহুতো উচ্চ বিদ্যালয় স্থাপিত হৈছে। এই বিদ্যালয় বিলাকত অসম চৰকাৰে ঘাটি মঞ্জুৰীও দিছে। বঙালী আৰু কিছুমান হিন্দী স্কুলত অসমীয়াও শিকায়। কিন্তু অসমীয়া অৱশ্য পাঠ্য নহয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ শেষ পৰীক্ষাত অসমীয়া ভাষা বা সাহিত্যৰ পৰীক্ষাও দিব নালাগে। ইয়াৰৰ ফলত এইবোৰ বিদ্যালয়ত থকা অসমীয়া ভাষা শিকোৱা শিক্ষক বিলাকৰ অৱস্থা অতি শোচনীয় হৈ উঠে আৰু অসমীয়া ভাষাৰ এই শিক্ষকসকলে বঙালী ভাষাত আন আন বিষয়ৰ শ্রেণী পঢ়াব লগা হয়। মোৰ মনেৰে অসমত যিকোনো ভাষাৰ বিদ্যালয় পাতিলেও অসমীয়া ভাষা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শেষ পৰীক্ষা পর্যন্ত অৱশ্য পাঠ্য হ'ব লাগে। আমাৰ ভাষা, আমাৰ সাহিত্য, কৃষ্টিৰ লগত এইবিলাক বহিৰাগত ছাত্রই পৰিচিত হ'ব নালাগেনে? যদি এই ভাবেই চলি থাকে তেওঁলোক চিৰদিনেই অসমৰ বুকুত বিদেশী হৈয়েই থাকিব। দেশৰ উন্নতিৰ কামত এওঁবিলাকে কেতিয়াও অৰিহণা যোগাব নোৱাৰিব।

অসমীয়া ভাষা আৰু মহাবিদ্যালয়

অসমৰ মহাবিদ্যালয় বিলাকত স্নাতক মহলালৈকে অসমীয়া ভাষাৰ মাধ্যমত শিক্ষাদানৰ ব্যৱস্থা হ'ল ১৯৭২ চনৰ পৰা। এইটো অতি সুখৰ কথা। কিন্তু যথার্থতে অসমীয়া ভাষাৰ মাধ্যমত শিক্ষাদান চলিছেনে? এতিয়াও ইংৰাজীয়ে অধিক সম্মানৰ ঠাই লোৱা নাইনে? ১৯৮২ চনলৈকে এই ব্যৱস্থাই হয়তো চলি থাকিব।

এই কেইবছৰৰ ভিতৰত মহাবিদ্যালয় বিলাকত অসমীয়া ভাষাৰ প্রচলন কিমানদূৰ আগবাঢ়িল, তাক পৰীক্ষা কৰি চাবৰ সময় হোৱা নাইনে? তাৰ পিছত কি ব্যৱস্থা গ্রহণ কৰিব তাৰ বিষয়ে চিন্তা কৰাৰ প্রয়োজন জানো হোৱা নাই?

ৰাজ্যভাষা

অসম বিধান সভাত Officiaal Languaage Act, 1960 গৃহীত হোৱাৰ লগে লগে ১৯৬০ চনৰ পৰাই অসমত অসমীয়া ভাষাই ৰাজ্যভাষাৰূপে স্বীকৃতি লাভ কৰে। সদৌ অসমৰ অধিবাসীসকলে অসমীয়া ভাষা অসমৰ ৰাজ্যভাষা হোৱাটোকে মনে প্রাণে কামনা কৰিছিল। দুখৰ বিষয় এই যে, অসমত বিনা আন্দোলনত কোনো মহৎ কাম হোৱা নাই। অসমীয়া ভাষা ৰাজ্যভাষা হিচাপে প্রচলন ক্ষেত্রতো অসমীয়াই বিৰাট আন্দোলন কৰিবলৈ বাধ্য হৈছিল। এই দুখ অসমীয়াই পাহৰিব নোৱাৰে। কিন্তু অসমীয়া ৰাজ্যভাষাই সুস্থভাৱে প্রচলিত হৈছে বুলি ভাবিলে এতিয়াও ভুল কোৱা হ'ব।

আজি ৰাজ্যভাষা প্রচলনৰ একুৰি বছৰ অতিক্রম কৰি যোৱাৰ পিছতো অসমীয়া ৰাজ্যভাষাৰ মানদণ্ডৰ উন্নতি লাভৰ কোনো লক্ষণ দেখা পোৱা নাই । কাৰণ এতিয়াও আমাৰ হাতলৈ জিলা, মহকুমা বা দিছপুৰৰ চৰকাৰী কার্যালয়বিলাকৰ পৰা অহা চিঠিবোৰ ইংৰাজী ভাষাতেই মুদ্রিত কৰা। যদি আপোনালোকেও একেধৰণৰ ইংৰাজীত মুদ্রিত কৰা চিঠিবোৰকে পঢ়িবলৈ পায়, তেনেহ'লে অসমত যে অসমীয়া ভাষাই ৰাজ্যভাষাৰ স্থান পূৰণ কৰিছে, সেই কথা আমি কেনেকৈ মানি ল'ব পাৰিম? অসমীয়া ভাষাক ৰাজ্যভাষাৰূপে পূর্ণবিকশিত ৰূপত প্রতিষ্ঠা কৰাৰ চেষ্টা কৰাটো আমাৰ সকলোৰে একান্ত কর্তব্য হৈ পৰিছে।

এই সুদীর্ঘ একুৰি বছৰত অসম চৰকাৰে আয়োগ পাতি অসমীয়া ভাষাৰ প্রচলন কেনেদৰে আগুৱাইছে তাক জানো

পৰীক্ষা কৰি চাইনে? অসমীয়া ভাষাৰ উত্তৰোত্তৰ প্ৰচলনত যদি কিবা হেঙাৰ দেখা পোৱা গৈছে, তেনেহ'লে সেইবিলাক আঁতৰোৱাৰ প্ৰচেষ্টা কিমানখিনি দেখা পোৱা গৈছে? এইক্ষেত্ৰত অসম সাহিত্য সভাৰ নীৰৱতাও যথেষ্ট পৰিমাণে দায়ী বুলিব পাৰি। ৰাজ্যভাষা প্ৰচলনৰ ক্ষেত্ৰত সহায় কৰাৰ সকলো দায়িত্ব আমি জনসাধাৰণেই গ্ৰহণ কৰা উচিত হ'ব বুলি মই ভাবোঁ।

এই ক্ষেত্ৰত প্ৰথম হেঙাৰ স্বৰূপে আমি যদি বিবেচনা কৰি চাওঁ তেতিয়াহ'লে দেখা পাম যে সৰু বৰ কৰ্মচাৰীসকলে ইংৰাজী ভাষাতেই সহকাৰী সকলক শ্ৰুতলিপি দিয়ে বা নিৰ্দেশ দিয়ে আৰু সেইমতেই সহকাৰীসকলে চিঠি বা কথাবোৰ মুদ্ৰিত কৰি জনসাধাৰণলৈ পঠিয়াই দিয়ে এনেবোৰ কাৰ্যই প্ৰকৃতপক্ষত Assam Official Language Act.ৰ বিৰোধিতা কৰি আহিছে। এনেকুৱা বহুতো কৰ্মচাৰীকেই অসমীয়া ভাষা প্ৰশিক্ষণ দিয়াটো মই উচিত বুলি ভাবোঁ। গতিকে অসমীয়া ভাষাত অনভিজ্ঞ কৰ্মচাৰীসকলক অসমীয়া ভাষা শিক্ষা দিয়াৰ ব্যৱস্থা কৰিবই লাগিব, নহ'লে ৰাজ্যভাষা অসমীয়া প্ৰচলনৰ চেষ্টাটোৱেই ব্যৰ্থ হৈ যাব।

অসমীয়া ভাষা বিকাশৰ ক্ষেত্ৰত দ্বিতীয় হেঙাৰ হৈছে মুদ্ৰা-লেখন যন্ত্ৰ বা Typewriter। অতি কম সংখ্যক অসমীয়া Typewriter হে অসম চৰকাৰে কিনিছে। আচলতে এইবোৰ Typewriter সম্পূৰ্ণৰূপে ব্যৱহাৰ হোৱা নাই। ইয়াৰ কাৰণ বিশ্লেষণ কৰি চালেও কিছুমান অসুবিধাৰ কথাই মনলৈ আহে। কাৰণ, অসমীয়া ভাষাত অসংখ্য আখৰ আৰু যুক্তাক্ষৰ আছে। এইবিলাকৰ সৰলীকৰণৰ ব্যৱস্থাক কাৰ্যকৰী কৰি নোতোলাত। Typewriter বোৰ ব্যৱহাৰ কৰাত বহুত অসুবিধা আহি পৰে। এইবোৰক আধুনিক পদ্ধতিৰে সৰলীকৰণ কৰি তুলিলে, আৰু অসমত পৰ্যাপ্ত সংখ্যক অসমীয়া Typewriter ৰ যোগান থাকিলে আমাৰ ভাষাই যথাৰ্থ বিস্তৃতি লাভ কৰি বুলি আশা কৰিব পাৰি। অসমীয়া আখৰবোৰৰ সৰলীকৰণৰ বিষয়ে আলোচনা আগেয়েও হৈছে। কিন্তু অসম সাহিত্য সভাই এই বিষয়ে একান্ত ভাবে লাগি থকা নাই।

মোৰ মনেৰে যুক্তাক্ষৰবোৰ বৰ্জন কৰিলেই কাম বহুত সৰল হৈ আহিব। তাৰ উপৰিও কিছুমান আখৰ একেবাৰেই বাদ দিলেও কোনো হানি নহ'ব। এই বিষয়ে সম্পূৰ্ণ পৰিকল্পনা আপোনালোকৰ আগত দাঙি ধৰা উচিত হ'ব বুলি ভাবোঁ। আমি চাব লাগিব ছপাশালত ছপাৰ কামত আখৰ আদি যাতে সহজে ব্যৱহাৰ কৰিব পৰা যায় আৰু Typewriter তো আখৰৰ সংখ্যা অতি সহজ হৈ আহিব।

এইদৰে সম্পূৰ্ণ পৰিকল্পনা হাতত লৈ কাৰ্যক্ষেত্ৰত আগুৱাই গ'লে ছপাৰ অসুবিধা নোহোৱা হৈ পৰিব আৰু ইয়াৰ দ্বাৰা ৰাজ্যভাষাই সকলোক্ষেত্ৰতে বিস্তৃতি লাভ কৰিব বুলি মই ভাবোঁ।

অসমীয়া আখৰবোৰৰ সৰলীকৰণৰ নিচিনা বিতৰ্কমূলক আলোচনাৰ অৱতাৰণা কৰিবলৈ মই আজি আৰু অগ্ৰসৰ নহওঁ। মই আপোনালোকক এই বিষয়ে গভীৰ ভাবে চিন্তা কৰি চাবলৈ সৰল অনুৰোধ জনাইছোঁ।

অসম পাঠ্যপুথি নিগম, ১৯৭৩ চন

অসম পাঠ্যপুথি নিগমৰ প্ৰতিষ্ঠা হ'ল ১৯৭৩ চনত। অসমৰ বহুতো দেশপ্ৰেমী আৰু মনিষীসকলে এই নিগম প্ৰতিষ্ঠা কৰাটো ভাল পোৱা নাছিল। কিন্তু অসম চৰকাৰে আশা কৰিছিল যে, এই প্ৰতিষ্ঠানৰ দ্বাৰা দেশৰ বহুতো উপকাৰ হ'ব। প্ৰথমতে স্কুল আৰু কলেজৰ পাঠ্য কিতাপবোৰ অসম চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলক সস্তাতে দিব পাৰিব, দ্বিতীয়তে যেতিয়াই প্ৰয়োজন হয় তেতিয়াই কিতাপবোৰ পোৱা যাব, তদুপৰি উচ্চ মানদণ্ডৰ পাঠ্য পুথিও প্ৰকাশিত হ'ব।

কিন্তু, আজি পাঠ্যপুথি নিগমৰ প্ৰতিষ্ঠা হোৱাৰ ভালেমান বছৰ পাৰ হৈ যোৱাৰ পিছত যদি আমি এই বিষয়ে ভালদৰে বিশ্লেষণ কৰি চাওঁ, তেতিয়াহ'লে সততাই এটা প্ৰশ্ন আহি পৰিব যে স্কুল আৰু কলেজৰ পাঠ্য পুথিবোৰ জানো সস্তা দৰত পাইছোঁ।

তদুপৰি, বিচৰামতেই সকলো প্ৰয়োজনীয় পাঠ্য পুথিৰ যোগান আমি জানো পাওঁ? বছৰ শেষ হৈ গ'লেও বহুতো পাঠ্য পুথিয়েই ছপাশালৰ পৰা মুক্তি নাপায়।

প্ৰকাশিত পাঠ্যপুথি বিলাককো উচ্চমান বিশিষ্ট বুলি ক'ব পৰা নাযায়। তদুপৰি কিতাপৰ ব্যৱসায়ীসকলে নিগমৰ পৰা

পাঠ্যপুথি উলিয়াই অনাৰ ক্ষেত্ৰতো যথেষ্ট কষ্ট আৰু অসুবিধাৰ সম্মুখীন হ'ব লাগে।

এই সকলোবিলাক কথা বিচাৰ কৰি চালে এটা কথাই মনলৈ আহে যে ইয়াৰ পৰা দেশৰ প্ৰভূত ক্ষতিহে সাধন হৈছে। অসম চৰকাৰে পাঠ্যপুথিৰ ব্যৱসায় একচেতীয়া কৰাৰ ফলত আমাৰ সাহিত্যিকসকল উপযুক্ত পৰ্যায়ৰ পাঠ্যপুথি ৰচনাৰ পৰা বিৰত থাকিল। উৎকৃষ্ট মানৰ পাঠ্যপুথি ৰচনাৰ ক্ষেত্ৰত সাহিত্যিকসকলৰ প্ৰতিযোগিতা নোহোৱাৰ ফলত, সাহিত্য সৃষ্টিত দেখা দিলে বিৰাট সংকটে। তদুপৰি, কিতাপৰ ব্যৱসায়ী আৰু পুস্তক প্ৰকাশক বিলাকৰ আৰ্থিক অৱস্থাও দিনক দিনে শোচনীয় হৈ পৰিল। এনদৰে বেছিদিন চলি থাকিব লাগিলে কিতাপ ব্যৱসায় এদিন বন্ধ হৈ যোৱাৰ সম্ভাৱনা। উৎসাহৰ অভাৱত যিদৰে লিখকসকল মৃত্যুমুখী হৈ পৰিছে— তেনেদৰে দেশত সাহিত্য চৰ্চা আৰু বিকাশৰ পথো বন্ধ হৈ যাব ধৰিছে।

এইবিলাকৰ সংশোধনৰ একান্ত প্ৰয়োজন হৈ আহিছে। দেশত সাহিত্য চৰ্চাৰ পথ মুকলি কৰিবলৈ হ'লে সাহিত্যৰ নিজস্ব বিস্তৃতিৰ সুযোগ দিব লাগিব। নহ'লে বছৰে বছৰে লাখ লাখ টকা খৰচ কৰি অসম সাহিত্য সভা পতাৰো কোনো প্ৰয়োজন নাই।

চৰকাৰে ভাবি চিন্তি চাই Syllabus বোৰ প্ৰচাৰ কৰাৰ প্ৰয়োজন। সাহিত্যিকসকলেই উচ্চ মানদণ্ডৰ পাঠ্য পুথিৰ প্ৰণয়ন কৰা উচিত আৰু প্ৰকাশক সকলে সেই বিলাক গ্ৰন্থ প্ৰকাশ কৰা উচিত। প্ৰতিযোগিতামূলক ভাৱে উৎকৃষ্ট গ্ৰন্থৰ বিচাৰ কৰি চৰকাৰে উক্ত পাঠ্যপুথিবোৰৰ মঞ্জুৰী কৰি অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিত সাহায্য প্ৰদান কৰক। সাহিত্যকসকলৰ প্ৰতিভা বিকাশৰ ইও এটা সোণালী পথ হ'ব।

ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰো যাথাৰ্থই কল্যান হ'ব। যিহেতু, তেওঁলোকে পাঠ্যপুথিৰ উপৰিও দুই চাৰিখন কিতাপ তুলনামূলক অধ্যয়ন কৰাৰ সুযোগ গ্ৰহণ কৰিব আৰু তেওঁলোকৰ প্ৰতিভা বিকাশতো যথেষ্ট সুযোগ লাভ হ'ব। বৰ্তমান অৱস্থাত অসম চৰকাৰে প্ৰকাশ কৰা পাঠ্যপুথিৰ বাহিৰে দ্বিতীয় এখন কিতাপ বিচাৰি পোৱা নাযায়। ভালেই হওক বা বেয়াই হওক সকলো কিতাপেই অসম পাঠ্যপুথি নিগমৰ দ্বাৰা প্ৰকাশিত। এনে ধৰণেৰে পাঠ্যপুথি বিলাকৰ একচেতীয়া কাৰবাৰ কৰিলে অসম চৰকাৰে দেশৰ অমংগল মাতি অনা হ'ব। যি হওক দেশ মংগলৰ কাৰণেই অসম চৰকাৰে পাঠ্যপুথি নিগমৰ নীতি পৰিবৰ্তন কৰিব লাগিব। দেশৰ সাহিত্যৰ শ্ৰীবৃদ্ধিত সহায় কৰিবৰ কাৰণেহে পাঠ্যপুথি নিগমৰ প্ৰয়োজন। নহ'লে এনে নিগমৰ কোনো প্ৰয়োজন নাই।

উত্তৰ কাছাৰ জিলা আৰু কাৰ্বি আংলং

উত্তৰ কাছাৰ জিলাৰ অধিবাসীসকলৰ ঐতিহ্য এটা আছে। তাৰ বৰ্মণ, কছাৰী আৰু মাৰ সকলৰ অসমৰ আন আন অধিবাসীসকলৰ লগত তেজ মঙহৰ সম্পৰ্ক আছে—তেওঁলোক আমাৰ বুকুৰ কুটুম। হাফলং, দাউথুহাজো, মাইবং ইত্যাদি নামেই পৰিচয় দিয়ে তাত অতি প্ৰাচীন কালৰ পৰাই কছাৰীসকলে আধিপত্য বিস্তাৰৰ কৰিছিল আৰু লামডিং, কাছাৰ আদি বিস্তৃত অঞ্চলত ৰাজত্ব কৰিছিল।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ বড়োসকলৰ ভাষা আৰু উত্তৰ কাছাৰ জিলাৰ বৰ্মণ কছাৰীসকলৰ ভাষা একে—কেৱল উচ্চাৰণৰ যি পাৰ্থক্য। উত্তৰ কাছাৰ জিলাত তেওঁবিলাকে বৰ্মণ কছাৰী ভাষা চলোৱাৰ চেষ্টা কৰা শুনা নাই। ইংৰাজৰ আমোলৰ পৰাই তাত বঙালী ভাষা চলি আহিছে— তাত তেওঁবিলাকে বাধা দিয়া নাই। তেওঁলোকৰ নেতৃসকলে এতিয়া অসমীয়া ভাষা প্ৰচলন কৰিব বিচাৰে। অসমীয়া মানুহৰ লগত তেওঁলোকে একান্তভাৱে মিলি যাবৰ কাৰণে। এইটো এটা শুভ লক্ষণ। আমাৰ হৈ অসম চৰকাৰে সৰ্বতোপ্ৰকাৰে তেওঁলোকক সহায় কৰা উচিত হ'ব। অসম সাহিত্য সভাও এই বিষয়ত আগুৱাই আহিব লাগে।

কাৰ্বি ভাইসকল আমাৰ আপোন মানুহ, আমাৰ বুকুৰ কুটুম। কাৰ্বিসকলে আগতো আহোম সকলৰ লগত বিয়া বাৰু আদি কৰাই মিলি গৈছিল— মিলি গৈ আছে এতিয়াও। বড়োসকলৰ লগত। গোৱালপাৰা জিলাৰ বহুতো বড়ো মানুহ আহি কাৰ্বি আংলঙত স্থায়ীভাৱে মিলিজুলি বাস কৰিবলৈ লৈছে— বাস কৰি আছে শান্তিৰে। বহুতো কাৰ্বি মানুহ দক্ষিণ কামৰূপ, নগাঁও আৰু গোলাঘাট অঞ্চলত শান্তিৰে বসবাস কৰি আছে, নিগাজীভাৱে অসমীয়াসকলৰ লগত মিলি গৈছে।

কাৰ্বি ভাইসকলে কাৰ্বি আংলঙত কাৰ্বি ভাষা চলোৱাৰ এটা চেষ্টা লৈছে। আজি কিছুদিন আগতে কাৰ্বি ভাইসকলে

অসমীয়া ভাষাৰ বিৰোধী হৈ উঠিছে বুলি কিছু জনৰব ওলাইছিল। যথার্থতে সঁচা বাতৰি নে? মোৰ মনেৰে ইয়াৰ অনুসন্ধান কৰা উচিত হ'ব। যথার্থতে যদি সঁচা হয়, তেন্তে কাৰণবোৰ জানি শুনি সেইবোৰৰ প্রতিকাৰ কৰিবৰ চেষ্টা কৰা উচিত হ'ব।

কার্বি ভাইসকলে যদি কার্বি ভাষা প্রচলন কৰিব খোজে তাত আমি তেওঁলোকক সহায় কৰা উচিত নহ'বনে? অসমীয়া ভাষা ৰাজ্যভাষা, অসমীয়া ভাষা নিশিকোঁ আৰু গ্রহণ নকৰোঁ— এনে কথা তেওঁলোকে কেতিয়াও কোৱা নাই আৰু নকয়ো। তেওঁলোকে অসমীয়া ভাষাকে গ্রহণ কৰি আহিছে। কেৱল ভাবাবেগ (Sentinent) ত আৰু প্রাচীন ঐতিহ্য ৰাখিবৰ কাৰণে তেওঁবিলাকক কার্বি ভাষাৰ চর্চা কৰিবলৈ লৈছে। অসম সাহিত্য সভাই তেওঁলোকৰ লগত বিশদ আলোচনা কৰি এটা উপযুক্ত কার্যপন্থা গ্রহণ কৰা উচিত হ'ব।

উত্তৰ কাছাৰ জিলা আৰু কার্বি আংলং দুয়োখনেই পাহাৰী আৰু অতি অনুন্নত জিলা। সেই কাৰণে কেতিয়াবা তেওঁবিলাকে অসমৰ পৰা ফালৰি কাটি যোৱাৰ কল্পনা কৰে। কিন্তু তাতো জানো তেওঁবিলাকৰ কিবা মংগল হ'ব? এই দুয়োখন জিলাক সকলো প্রকাৰে সহায় কৰি উন্নত কৰাৰ চেষ্টা কৰিব লাগিব। ইয়াৰ অধিবাসী সকলক উন্নত জীৱন-যাপন কৰাৰ ব্যৱস্থা কৰি দিয়াৰ ভাৰ অসম চৰকাৰৰ নহয় নেকি?

আমাৰ দেশৰ কোনো অংশক অনুন্নত অৱস্থাত ৰাখিলে আমাৰ গোটেই দেশৰে অমংগল মাতি অনা হ'ব; আমাৰ বুকুৰ কুটুম সকলক আমি আমাতকৈ অনুন্নত অৱস্থাত থাকিবলৈ দিব নোৱাৰোঁ, আৰু এওঁবিলাকক আমাৰ পৰা ফালৰি কাটিও যাবলৈ দিব নোৱাৰোঁ।

কাছাৰ জিলা

ইংৰাজ ৰাজত্বৰ আমোলত ছিলট জিলা অসম প্রদেশৰ ভিতৰত আছিল। অসম প্রদেশৰ ভিতৰত থাকি ছিলটীয়া সকলে অসমৰ পৰা সকলো সুযোগ সুবিধা বেছিকেয়ে আদায় কৰি লৈছিল— সেইবোৰ সুবিধা ব্রহ্মপুত্র উপত্যকাৰ অধিবাসী সকলেও ভোগ কৰিব পৰা নাছিল। গতিকে অসমীয়া মানুহৰ মনত তেওঁবিলাকৰ বিৰুদ্ধে তিক্ততা বাঢ়ি গৈ আছিল। আমি সৰুতে অসমৰ সকলো ঠাইতে ছিলটীয়াবিলাকে প্রচাৰ কৰা বাক্য শুনিছিলো—("Assam secretariate rules Assam, but the Sylheti People rule the Assam Secretariate.") কথাখাৰ একেবাৰে সঁচা আছিল বুলিয়েই ধৰিব পাৰি; কাৰণ প্রায়বিলাক উচ্চপদস্থ কর্মচাৰী, তলতীয়া কর্মচাৰী, কেৰাণী, চৌকিদাৰ আদি ছিলট জিলাৰ আছিল; আছিল ইংৰাজসকলৰ প্রশ্রয়ত। গতিকেই অসমীয়া মানুহৰ মনত তিক্ততা বাঢ়ি অহা অত্যন্ত স্বাভাৱিক।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত গণভোটত ছিলট জিলা পূব পাকিস্তানৰ লগত মিলি গ'ল। ছিলট জিলাৰ সামান্য কিছু অংশ কাছাৰ জিলাৰ লগত লগ লাগিল। এই কাছাৰ জিলাই আছিল অসমৰ প্রাচীন হেৰম্ব ৰাজ্য (কছাৰী ৰাজ্য)— অসমৰ তেজমণ্ডহৰ লগত হেৰম্ব ৰাজ্যৰ অধিবাসী সকলৰ তেজমণ্ডহৰ মিহলি, অসমৰ সুখ দুখৰ লগত তেওঁবিলাক একান্তভাৱে জড়িত।

কিন্তু ছিলট জিলা পূব পাকিস্তানত মিলি যোৱাৰ লগে লগে লাখে লাগে হিন্দু বঙালী মানুহ কাছাৰ জিলাত প্রবেশ কৰি স্থায়ী ভাৱে বসতি কৰিবলৈ ললে। নতুন নতুন সমস্যাৰ উদ্ভৱ হ'ল— কাছাৰৰ খিলঞ্জীয়া অধিবাসী সকলৰ সকলো নায্য দাবী তল পৰি গ'ল। কাছাৰৰ খিলঞ্জীয়া অধিবাসী সকলক নানা বিপদৰ পৰা কোনে ৰক্ষা কৰিব?

কাছাৰৰ খিলঞ্জীয়া অধিবাসীসকলে অসমীয়া বিদ্যালয়ৰ মঞ্জুৰী বিচাৰিলেও নাপায়, অসমীয়া মাত প্রচলনত প্রতি পদে বাধা পাই আহিছে, এইবোৰ কথা কোনে নাজানে? এই ৪৮ বছৰে অসম সাহিত্য সভাই কাছাৰত এবাৰো অসম সাহিত্য সভাৰ অধিবেশন বহুৱাব পাৰিছেনে? অসম চৰকাৰে কাছাৰ জিলাত কেইখন অসমীয়া বিদ্যালয়ৰ মঞ্জুৰী দিছে তাৰ হিচাপ দিবনে? মঞ্জুৰী যদি দিব পৰা নাই, কাৰ বাধাৰ কাৰণে? এইবোৰ বাধা গুচাবৰ কাৰণে অসম চৰকাৰে চেষ্টা কিয় কৰা নাই?

কাছাৰ বঙালী ভাষীসকল উচ্চাধিকা ভাৱত (Superiority Complex) ভূগি আছে— ইংৰাজৰ আমোলতো ভূগিছিল— এতিয়াও ভূগি আছে। অসমীয়া মানুহতকৈ সকলো বিষয়তে—ভাষা, সাহিত্য সভ্যতা, কৃষ্টি আদিত এওঁবিলাক

নিজকে শ্রেষ্ঠ বুলি ভাবে— নিম্ন মানৰ অসমীয়া ভাষা কাছ্বত চলিব দিব পাৰিনে?

কাছ্বৰ বঙালী ভাষীসকলৰ প্ৰতি আমাৰ বিনীত নিবেদন— অসমীয়া জাতি আৰু ভাষাৰ সৰ্বাঙ্গীন উন্নতিত কেৱল অসমীয়া মানুহৰেই নহয়, ভাৰতৰ সকলো প্ৰদেশৰ মানুহৰ এটো আন্তৰিক শুভেচ্ছা আৰু প্ৰচেষ্টা আছে, গতিকে তেওঁবিলাকৰ নাথাকিব কেলৈ? অসমৰ উন্নতিৰ বাটত হেঙাৰ দিয়াত জানো তেওঁবিলাকৰ কিবা লাভ আছে? অসমৰ উন্নতিত তেওঁবিলাকৰ উন্নতি, অসমৰ গৌৰৱ বৃদ্ধিত তেওঁলোকৰ গৌৰৱ নহয় নেকি? প্ৰতি পদে হেঙাৰৰ সৃষ্টি কৰি পৰস্পৰৰ প্ৰতি তিক্ততাৰ সৃষ্টি কৰিলে পৃথিৱীৰ কোনো দেশ উন্নত হ'ব পাৰেনে?

কাছ্বৰবাসী সকলৰলৈ আমি আহ্বান জনাওঁ— আপোনালোকেও আহক, আমি সকলোৱে মিলি সমগ্ৰ অসমৰ উন্নতিৰ হকে একেলগে কাম কৰোঁ, এই দেশক সকলো ৰকমে উন্নত আৰু গৌৰৱ মণ্ডিত কৰোঁ, য'ত আমাৰ ভৱিষ্যৎ বংশধৰ সকলে সুখে সন্তোষে মিলিজুলি বাস কৰি থাকিব পাৰিব।

অসমৰ বুৰঞ্জী

কোনা এটো জাতিৰ বিষয়ে পুঙ্খানুপঙ্খভাবে কিবা এটো জানিব বিচাৰিলে, প্ৰথমেই প্ৰয়োজন হয় সেই জাতিৰ বুৰঞ্জী অধ্যয়ন আৰু গৱেষণাৰ। এটা জাতিক জানিবলৈ হ'লে, সেই জাতিৰ প্ৰাচীন ইতিহাস, ৰাজনীত, সমাজনীতি, ৰুচিবোধ, আচাৰ-ব্যৱহাৰ, অৰ্থনৈতিক অৱস্থা, কৃষ্টি-কলা আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ বিশ্লেষণ অতি প্ৰয়োজনীয়। এই সকলোবিলাকৰ অধ্যয়ন নাথাকিলে এটা জাতিৰ বৰ্তমান বা ভবিষ্যতৰ বিষয়ে একো ধাৰণাই সম্ভৱপৰ নহয়।

অতি দুখৰ বিষয় যে, অসমৰ তেনে কোনো বিস্তৃত বুৰঞ্জী নাই। অসমৰ কিছুমান বুৰঞ্জী ৰচিত হৈছে যদিও সেইবিলাক পক্ষপাত দুষ্ট আৰু বিশেষ বিশেষ গোষ্ঠীক কেন্দ্ৰ কৰি ৰচনা কৰা। এইবিলাকত অসমৰ সামাজিক অৰ্থনৈতিক সাংস্কৃতিক বা ৰাজনৈতিক জীৱনৰো সকলো তথ্য বিচাৰি পোৱা নাযায়। কোনো কোনো বুৰঞ্জীত জনজাতীয় গোষ্ঠীবিলাকৰ প্ৰতি তুচ্ছ ব্যৱহাৰ, ইতিকিং, পৰোক্ষ বিদ্ৰূপ আদিও দেখা যায়, যিবোৰ পঢ়িলে বা হৃদয়ঙ্গম কৰিলে পঢ়ুৱৈৰ মন বিক্ষুব্ধ হৈ উঠিব পাৰে। এনেবিলাক বুৰঞ্জীৰ আমি মূল্যায়ণ কৰিব নোৱাৰোঁ আৰু এইবিলাক বুৰঞ্জীৰ লেখক সকলোও অসমৰ প্ৰতি দ্ৰোহ আচৰণ কৰাৰ বাহিৰে উপকাৰ সাধন কৰা নাই।

অসম সাহিত্য সভাই অসমৰ বিস্তৃত আৰু প্ৰামান্য বিষয়ক বুৰঞ্জী ৰচনাৰ কাৰ্যা হাতত লওক। অসমৰ সকলোধৰণৰ বুৰঞ্জীৰ অধ্যয়ন আৰু গৱেষণাৰ ওপৰত ভিত্তি কৰি, অসমৰ জনগণৰ বিভিন্নন্ন দিশৰ প্ৰতিফলন তথা নতুন বুৰঞ্জী ৰচনা কৰক। কেৱল ৰজা-ভঙা পতাৰ বিৱৰণেই এই বুৰঞ্জীৰ বিষয় নহব। এইবিলাকৰ উপৰিও ইয়াত থাকিব লাগিব অসমীয়া জাতিৰ জন্ম আৰু ক্ৰমবিকাশৰ ইতিহাস, ৰীতি-নীত, প্ৰাচীন সমাজ-ব্যৱস্থা আৰু কৃষ্টি-সভ্যতাৰ কথা। অসমৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ বিস্তৃত বিৱৰনো এইবিলাকৰ অন্তৰ্ভুক্ত হ'ব লাগিব; আৰু সেয়ে হ'লেই অসমীয়া জাতিৰ যথাৰ্থ-স্বৰূপ উপলব্ধি কৰিবলৈ আমি সমৰ্থ হ'ব পাৰিম।

অসমীয়া ভাষা আৰু সাহিত্য বুৰঞ্জী

অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী বুলিলে বহল অৰ্থত যি কথাৰ সূচনা কৰে অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জী পঢ়িলে সেইকথা পৰিলক্ষিত হয়নে? অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী আচলতে অসমীয়া জাতিৰো সভ্যতা আৰু সংস্কৃতিৰ বুৰঞ্জী। অসমীয়া বুলিলে অতীতৰ যিখন অসমক বুজাইছিল সেই অসমৰ অধিবাসী সকলৰ সকলো ধৰণৰ বৈশিষ্ট্য এই ভাষা সাহিত্যৰ বুৰঞ্জীৰ মাজেদি পৰিদৃষ্ট হয়নে? অসমীয়া ভাষাৰ জন্ম-ইতিহাস, বিস্তৃতি আৰু উন্নতি আদিৰ বিষয়ে বিশদ আলোচনামূলক ভাষা সাহিত্যৰ বুৰঞ্জী অসমীয়া ভাষাত আছেনে? অসমৰ বিভিন্ন জনগোষ্ঠীৰ সভ্যতা সংস্কৃতিৰ প্ৰতি আলোকপাত নকৰা আৰু অসমৰ সভ্যতাৰ ঐতিহ্যৰ অন্বেষণ নকৰা ভাষা সাহিত্যৰ বুৰঞ্জী লেখক সকলে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্যসূত্ৰ ৰচনা কৰাৰ ক্ষেত্ৰত কিবা ৰৰঙণি আগবঢ়াব পাৰিছেনে? অসমত বিভিন্ন ধৰ্ম, সমাজ আৰু গোষ্ঠীৰ মানুহ একেলগে হেজাৰ হেজাৰ বছৰ ক্ৰমবসতি কৰি অহাৰ পাছত এইসকলৰ লগত ভাৰৰ, ৰুচি আৰু আদৰ্শৰ যি সমন্বয় সাধন ঘটিছিল, তাক আজি

পাহৰি যোৱা উচিত হৈছেনে? অসমৰ খিলঞ্জীয়া সকলো অধিবাসীৰ প্ৰতি একেধৰণৰ স্নেহ-সম্মান আৰু শ্ৰদ্ধাবোধ নাথাকিলে এইবিলাক বুৰঞ্জী লেখকে অসমৰ জাতীয় জীৱনৰ কল্যাণ সাধন কৰিব পাৰিবনে? এইবিলাক জাতিৰ ধৰ্ম, আদৰ্শ, ৰুচিবোধ আৰু ভাৱধাৰাৰ প্ৰতি সমান ধৰণৰ স্বীকৃতি আগনবঢ়ালে বা এইধৰণৰ গৱেষণামূলক অধ্যয়ন নকৰিলে এইবিলাক ভাষা সাহিত্যৰ বুৰঞ্জীৰ পৰা অসমীয়া ভাষা আৰু সাহিত্যৰ শ্ৰীবৃদ্ধি হ'ব নোৱাবে। এওঁলোকৰ আদৰ্শ আৰু আত্মবিশ্বাসত আঘাত নাহানিলে আজিৰ অসমৰ সকলো গোষ্ঠী, সমাজ আৰু মানুহ মিলি এখন নতুন দেশ ৰচনা কৰাৰ স্বপ্ন দিঠকত পৰিণত কৰিবলৈ বেছিক্ষণ নালাগিলেহেঁতেন।

গতিকে এইবোৰ ভাৱধাৰাৰ প্ৰতি সঁহাৰি জনাই অসম সাহিত্য সভাই অসমৰ ভাষা আৰু সাহিত্যৰ এখন বিস্তৃত বুৰঞ্জী ৰচনা কৰা উচিত হ'ব। আমাৰ ভাষা আৰু সাহিত্যৰ বুৰঞ্জীবিদ সকলে এই বিষয়ে আগুৱাই আহিলে দেশৰ মনিষীসকলে যথার্থতেই সুখী হ'ব।

বড়ো জাতিৰ বিস্তৃতি, উত্থান-পতন, সভ্যতা আৰু কৃষ্টিৰ বুৰঞ্জী

অতি প্ৰাচনীকালত অসমত বিভিন্ন জনগোষ্ঠীৰ মানুহে গোটেই অসমতে বিস্তৃতি লাভ কৰিছিল। এইবিলাক জনগোষ্ঠীৰ ভিতৰত বড়োসকলৰ জনসংখ্যাই আছিল সৰ্বাধিক। বড়োসকল অসমৰ অতি প্ৰাচীন জাতি আৰু তেওঁলোকে প্ৰাচীন অসমত বহুত বছৰ ৰাজত্ব কৰিছিল বুলি অনুমান কৰিব পাৰি। অসমৰ বহু নদ-নদী, পাহাৰ-পৰ্বত, চহৰ-গাঁও অঞ্চল ইত্যাদিৰ নাম বড়োসকলে বড়ো-ভাষাত দিয়া যদিও পিছত বহুতো নাম বা শব্দই বিকৃত হৈ নতুন ধৰণেৰে পৰিচিত হৈছে। এনে এটা বিশাল জাতিক অৱহেলাৰ চকুৰে চাই আঁতৰ কৰি পেলালে অসমীয়া জাতিৰ কল্যাণ সাধন হ'ব বুলি মই নাভাবোঁ। এজন ব্যক্তিৰ ক্ষেত্ৰত শৰীৰৰ সকলো অংগই অপৰিহাৰ্য হোৱাৰ দৰে এটা জাতিৰ জীৱনী শক্তিয়ো প্ৰত্যেক জাতি-জনজাতিৰ সমন্বয়তহে পৰিচালিত হয়। একে অসমৰ এক হাৱা-পানীত ডাঙৰ দীঘল হোৱা এই বড়োসকলক আপোন কৰি ল'ব নোৱাৰিলে তেওঁলোকে নিজস্ব গতিত বেলেগ ভাৱে আগুৱাই যাবলৈ প্ৰচেষ্টা কৰাটো নিতান্তই স্বাভাৱিক কথা। অবহেলাৰ আতিশয্য ঘটিলেই বিচ্ছেদৰ সীমাৰেখা অংকিত হয়। এওঁলোকৰ ধৰ্ম-সংস্কৃতি, ভাষা-সাহিত্য বা জীৱনধাৰাৰ লগত অসমৰ জনপ্ৰবাহৰ কোনো সম্পৰ্কই যদি ৰক্ষিত নহয়, তেনেহ'লে বড়ো বিলাকৰ অস্তৰলৈও বিচ্ছিন্ন মনোভাৱ এদিন নহয় এদিন আহিবই। কেৱল বড়োসকলৰ কথাই কোৱা নাই, অসমৰ বিভিন্ন জনগোষ্ঠীৰ লগত দিয়া-নিয়া, আদান-প্ৰদানৰ মাজেদিহে অসমীয়া-ভাষা-সাহিত্য আৰু বিকাশ লাভ কৰিব পাৰে। আজি হাজাৰ হাজাৰ বছৰ ধৰি একেলগে বাস কৰি অহা এনে বিভিন্ন জনগোষ্ঠীৰ লগত পূৰ্ণাংগ সম্প্ৰীতি সাধন কৰিলেহে অসমীয়া জাতীয় জীৱনে পূৰ্ণাংগৰূপ লাভ কৰিবলৈ সমৰ্থ হ'ব। অন্যথাই বিভেদ অনস্বীকাৰ্য।

সেয়েহে, মই আপোনালোকৰ ওচৰত এটি অনুৰোধ জনাওঁ যে, আপোনালোকে যেন এই বিষয়ে এটি সুদূৰদৃষ্টি নিক্ষেপ কৰি অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ এখন নতুন ইতিহাস ৰচনা কৰি সকলো জাতি আৰু জনজাতিৰ সকলোধৰণৰ ধৰ্ম, সংস্কৃতি আৰু ভাষা সাহিত্য আৰু জীৱন ধাৰাৰ সমন্বয় সাধন কৰি ইটোৰ লগত সিটোৰ সম্পৰ্ক কেনেভাৱে জড়িত তাৰ বিজ্ঞানসম্মত অধ্যয়ন আৰু গৱেষণাৰ কাম হাতত লৈ অসমীয়া ভাষা-সংস্কৃতিৰ সমন্বয়সূচক এখন নতুন বুৰঞ্জী ৰচনা কৰাৰ প্ৰচেষ্টা চলায়। এনে কৰিবলৈ হ'লে কেইজনমান লব্ধ প্ৰতিষ্ঠা ভাষা-সাহিত্যৰ পূজাৰীসকলক লৈ এখন সমন্বয় সমিতি গঠন কৰি অসম সাহিত্য সভাই যদি এটি নতুন ভূমিকা হাতত লয়-তেনেহ'লে তাৰ ফল নিশ্চয় কল্যানময় হৈ উঠিব বুলি মোৰ এটো বিশেষ ধাৰণা হয়।

গোৱালপাৰা জিলাৰ বুৰঞ্জী

অসমৰ ভিতৰত গোৱালপাৰা অতি অনুন্নত জিলা। অতীজতে এই গোৱালপপাৰা জিলাৰ মাজেদিয়েই অসমত আহি সোমাইছিল মঙ্গোলীয়ান, আৰ্য আৰু অন্যান্য গোষ্ঠীৰ মানুহ, ঐতিহাসিক যুগত মোগলে কৰিছিল বোলবাৰ অসম আক্ৰমণ, ঐতিহাসিক যুগত মোগলে কৰিছিল এই ৰাজ্যত প্ৰভুত্ব। ইংৰাজ চৰকাৰৰ আমোলত আহিল লাখে লাখে মুছলমান, লাখে লাখে আহিল বিহাৰ, উৰিষ্যা আৰু মধ্যপ্ৰদেশৰ পৰা চাহ বাগিছাৰ বনুৱাৰ দল। বৰ্তমানে লাখ লাখ বিহাৰী বনুৱা আৰু ভাৰতৰ

অন্যান্য প্রদেশৰ পৰা হেজাৰ হেজাৰ ব্যৱসায়ীৰ দল আহিয়েই আছে। গোটেই অসমত বহুত আলোড়ন আৰু সমস্যাৰ সৃষ্টি হৈয়েই আছে। আচল বাটি— গোৱালপাৰা জিলাত—কোনো সমস্যাৰ সৃষ্টি হোৱা নাইনে? নিশ্চয় হৈছে। সেইবোৰ সমস্যাৰ বিশ্লেষণ কৰি দেখুৱাই সমস্যাবোৰৰ সমাধানৰ সূত্ৰ উলিয়াব কোনে?

গোৱালপাৰা জিলাৰ উত্তৰাংশ কেতিয়াবা মুছলমানৰ অধীনত কেতিয়াবা কোচ ৰজাৰ অধীনত, আকৌ কেতিয়াবা ভোটানৰ অধীনত আছিল বুলি জনা যায়। গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী বিলাকৰ ৰক্তৰ সম্পৰ্ক অসমৰ লগত, উত্তৰ বংগ আৰু উত্তৰ বাংলাৰ লগত; বড়োবিলাকৰো সেই একেই,—অসমৰ লগতো ৰক্তৰ সম্পৰ্ক আছেই, আছে উত্তৰ বংগ আৰু নেপাল দেশৰ পূৰ্বাংশৰ আৰু দক্ষিণে ত্ৰিপুৰাৰ লগতো। গোৱালপাৰা জিলাৰ নানা জাতি, উপজাতিৰ শিক্ষা, সভ্যতা, সংস্কৃতি ইত্যাদি সম্বন্ধে কোনো প্ৰামান্য ইতিহাস নাই। ১৯২৬ চনত ধুবুৰীত বহা অসম সাহিত্য সভাত সেই সময়ৰ ধুবুৰীৰ পুলিচ চুপাৰিনটেণ্ডেণ্ট স্বনাম ধন্য কবি আনন্দ চন্দ্ৰ আগৰৱালা ডাঙৰীয়াই 'গোৱালপাৰা জিলাৰ বিশেষ বিবৰণ' বুলি সৰু পুথি এখন ছপাই বিতৰণ কৰিছিল। এই কিতাপ আজিকালি পাবলৈ নাই। শ্ৰীযুত শিবানন্দ শৰ্মাৰ 'গোৱালপাৰা জিলাৰ ইতিহাস' আৰু শ্ৰীযুত অম্বিকাচৰণ চৰকাৰৰ 'ৰত্নপীঠত এভুমুকি' কিতাপ দুখনে গোৱালপাৰা জিলাৰ বিষয়ে কিছু আলোকপাত কৰিছে।

এইবোৰ কাৰণতে অসমৰ কেইজনমান বিশিষ্ট সাহিত্যিকে মোক অনুৰোধ জনাইছে, এইবাৰ অসম সাহিত্য সভাৰ পৰা যাতে গোৱালপাৰা জিলাৰ এখন প্ৰামান্য বুৰঞ্জী ৰচিত হয়। অসম সাহিত্য সভাই এই ভাৰ গ্ৰহণ কৰিব নোৱাৰিব নে?

অসমত প্ৰব্ৰজন আৰু বিদেশী বহিষ্কাৰ আন্দোলন

ইংৰাজ শাসনৰ আমোলৰ পৰাই অসমলৈ বহিৰাগতৰ প্ৰব্ৰজন ঘটিছিল। ইংৰাজ চাহ খেতিয়কসকলে যেতিয়া অসমত চাহৰ খেতি আৰম্ভ কৰিলে, তেতিয়াই তেওঁলোকে পদে পদে অনুভৱ কৰিলে বনুৱাৰ অভাব। অসমৰ থলুৱা বনুৱাবিলাক তেওঁলোকৰ এই চাহিদা পূৰণ কৰিবলৈ যথেষ্ট নহ'ল। এই সূত্ৰেই তেওঁলোকে মধ্যপ্ৰদেশ, উৰিষ্যা আৰু বিহাৰৰ পৰা লাখে লাখে বনুৱাৰ আমদানি কৰি চাহ খেতিৰ কামত নিযুক্ত কৰি ৰাখিলে। এওঁলোকৰ অক্লান্ত শ্ৰমৰ ফলস্বৰূপে অসমৰ চাহ বাগিছা বিলাকৰ প্ৰভূত উন্নতি সাধন হোৱাত নিগাজীকৈ এই বনুৱাবিলাক বাগিছাসমূহত বৈ গ'ল। পিছলৈ এওঁলোকৰ বহুসংখ্যক বনুৱাই অসমীয়া ৰীতি-নীতি গ্ৰহণ কৰি অসমীয়া জনসমাজৰ লগত মিহলি হৈ যাবলৈ প্ৰচেষ্টা কৰিলে।

ইংৰাজ শাসনৰ আমোলৰ আন এটা প্ৰব্ৰজনন হ'ল মৈমনছিং জিলাৰ মুছলমান বিলাক। দেশৰ জমিদাৰ বিলাকেই প্ৰথমতে এওঁলোকক আশ্ৰয় দান কৰিলে আৰু দ্বিতীয়তে এওঁলোকে প্ৰশ্ৰয় লাভ কৰিলে ইংৰাজৰ অধীনস্থ হৈ থকা অসম চৰকাৰৰ পৰা। দুয়োবিধেই ইংৰাজৰ শাসনকালৰ প্ৰব্ৰজনকাৰী হ'লেও— এওঁলোকৰ মাজতো মূলগত পাৰ্থক্য নহয়। চাহ বাগিছাৰ বনুৱাসকলে একমাত্ৰ চাহ বাগিছাৰ কামতে নিযুক্ত থকাৰ কাৰণে অসমীয়া জাতীয় জীৱনৰ কোনো ক্ষতি সাধন নকৰিলে। কিন্তু মৈমনছিঙৰ পৰা অহা মুছলমান খেতিয়কসকল মাটিৰ লুভীয়া হোৱাৰ কাৰণে নানা উপায়ে অসম চৰকাৰৰ প্ৰশ্ৰয় লাভ কৰি লাখ লাখ বিঘা মাটি দখল কৰিবলৈ সমৰ্থ হ'ল। এনেদৰে লাখ লাখ মৈমনছিঙিয়াৰ সোঁত অসমলৈ বাগৰি অহাৰ অসমৰ জনসাধাৰণৰ কাৰণে নতুন নতুন সমস্যাৰ জোৱাৰ তুলিলে। ১৯৪৭ চনত ভাৰত আৰু পাকিস্তানৰ দেশ বিভাজনৰ আগছোৱাত তেওঁবিলাকে অসম উপত্যকাৰ এটা বিৰাট অংশক পাকিস্তানৰ লগত চামিল কৰিবলৈ আন্দোলন চলালে। এইবিলাক কাৰণতে অসমীয়া মানুহৰ মন তেওঁবিলাকৰ প্ৰতি বিষাক্ত হৈ পৰিল। পিছলৈ এওঁলোকে অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া মানুহৰ হৃদয় জয় কৰাৰ প্ৰচেষ্টা কৰিলে। ভাৰতবৰ্ষ স্বাধীন হ'ল। স্বাধীনতাৰ পিছৰ কালতো মৈমনছিঙিয়া মুছলমানসকলৰ অনুপ্ৰৱেশ ঘটিয়েই থাকিল—ৰবঞ্চ আগতকৈওও বহু বেছিকৈহে। ১৯৫০ চনত এই মৈমনছিঙিয়া প্ৰব্ৰজনকাৰীৰ বিৰুদ্ধে অসমৰ সকলো ঠাইতে এই মৈমনছিঙিয়া প্ৰব্ৰজনকাৰীৰ বিৰুদ্ধে অসমৰ সকলো ঠাইতে আৰু ঘাইকৈ গোৱালপাৰা জিলাত প্ৰবলভাৱে আন্দোলন হোৱাত ভয় খাই বহুতো মৈমনছিঙিয়া মুছলমান পূৰ পাকিস্তানলৈ গুছি গ'ল। পূৰ পাকিস্তানলৈ গৈ এওঁলোকে হিন্দু বঙালীবিলাকৰ ওপৰত আক্ৰোশভাব পোষণ কৰিলে। হিন্দু বঙালীবিলাকৰ তেওঁলোকৰ ভয়ত অসমলৈ অনুপ্ৰৱেশ কৰিলে লাখে লাখে আৰু পিছলৈ এওঁবিলাকে নিগাজীকৈ এই অসমতে বসতি কৰিলে। আনকালে ১৯৫০ চনত

অসমৰ পৰা গুছি যোৱা মৈমনছিঙিয়া মুছলমান খেতিয়কসকল অসমলৈ ঘূৰি আহিল, লগতে আনিলে দুগুণ সংখ্যক অঙহী-বঙহী, তেওঁবিলাকৰ আত্মৰক্ষাৰ অজুহাতত। অসমৰ সমস্যাই দিনক দিনে বৃদ্ধি পাবলৈ ধৰিলে।

পূৰ পাকিস্তানৰ হিন্দু বঙালীবিলাক অসমলৈ লাখে লাখে অহাৰ ফলস্বৰূপে তেওঁলোকৰ (Cultural conquest) অর্থাৎ সাংস্কৃতিক বিজয়ৰ অভিযান চলিল এই দেশৰ বুকুতে। যিহেতু তেওঁলোকৰ একান্ত ধাৰণা এই যে তেওঁলোক বহুতো বিষয়তে অসমীয়া মানুহতকৈ শ্ৰেষ্ঠ। তেওঁলোকৰ প্ৰৰোচনাৰ ফলস্বৰূপে ১৯৫৫ চনত পশ্চিমবংগই অসমৰ পৰা গোৱালপাৰা জিলা, গাৰো পাহাৰ জিলা খাছীয়া-জয়ন্তীয়া পাহাৰ জিলা আৰু কাছাৰ জিলাক পশ্চিমবংগৰ লগত অন্তর্ভুক্ত কৰাৰ দাবী জনালে। অসমত থকা বঙালীসকলে এই দাবীত সমর্থন জনালে। ফলত তেওঁবিলাকৰ অসম বিৰোধী মনোভাৱে আমাৰ মন বিষাক্ত কৰি তুলিলে।

ইয়াৰ ফলত অসমত আন্দোলন হ'ল। ভাৰত চৰকাৰে সংগঠন কৰি দিয়া দেশ পুনৰগঠন আয়োগে অসমৰ কোনো অংশকেই পশ্চিমবংগৰ লগত চামিল কৰাটো যথোপযুক্ত বুলি নাভাবিলে। কিন্তু অসমত বিদেশী মানুহৰ প্ৰব্ৰজনৰ সুঁতি একেধাৰেই ববলৈ ধৰিলে। এতিয়াও বাংলাদেশৰ পৰা অহা মৈমনছিঙিয়া আৰু ৰংপুৰীয়া মুছলমানৰ সংখ্যা বাঢ়িয়েই আছে— বন্ধ হৈছে বুলি ক'বলৈ যোৱাটোও অত্যন্ত মিছা কথা। ১৯৬০ চনত অসমত ৰাজ্যভাষাৰ প্ৰচলন হয়। অসমত থকা বঙালীসকলে এই ৰাজ্যভাষা প্ৰচলনৰ সময়তো যথেষ্ট বাধাৰ সৃষ্টি কৰিছিল। অসমত অসমীয়া ভাষা চলাবৰ কাৰণেও পৰিতাপৰ বিষয় আৰু কি থাকিব পাৰে?

অন্যফালে অসমলৈ আকৌ লাখ লাখ নেপালী লোকৰো আগমন ঘটিল; বিশেষকৈ অসমৰ উত্তৰাংশ অঞ্চলৰ হাবি-জংঘলৰ মাজত আহি গাধীৰৰ ব্যৱসায় চলালে; অসমত খেতিৰ সুবিধা বিচাৰিলে উন্নততৰ জীৱন-যাপন কৰাৰ আশাত। এইসকল লোকৰ প্ৰব্ৰজনতো চৰকাৰে কোনো ধৰণৰ বাধাৰ সৃষ্টি নকৰিলে। সুবিধা পাই তেওঁলোকেও জাকে জাকে অনুপ্ৰৱেশ কৰিলে।

এইবিলাকৰ কথা বাদ দিও অসমত ভাৰতীয় বহিৰাগতৰ সংখ্যাও জানো নিচেই নগন্য? চাকৰিৰ নিযুক্তি নাইবা অন্যান্য সুযোগ লৈও অসমত যিমানখিনি অনা-অসমীয়া লোকৰ বসতি ঘটিছে— সেইবিলাকৰ সংখ্যাও লাখ লাখ বুলি ক'লে ভুল কোৱা নহ'ব। অহা দহ বছৰমানো যদি এনে ধৰণেই চলি থাকিব লগা হয়, তেনেহ'লে এইসকল লোকৰ সংখ্যাও অসমীয়া মানুহতকৈ বেছি হোৱাই স্বাভাৱিক। এওঁলোকৰ অসমলৈ অহাৰ প্ৰয়োজন কি? ব্যৱসায়, বাণিজ্য কৰি ধনী হ'বৰ কাৰণে আৰু শাৰীৰিক শ্ৰমৰ বিনিময়ত দুবেলা-দুমুঠি পেট-প্ৰবর্তাবৰ কাৰণেই। অসমীয়া মানুহৰ সৰলতা দুর্বলতা আৰু এলাহৰ সুযোগ লৈয়েই জানো এইসকল লোকে অসমত থিতাপি ল'বলৈ সুযোগ পোৱা নাই? এতিয়া আটাইতকৈ ডাঙৰ কথা হ'ল—কি পদ্ধতি হাতত ললেনো এই প্ৰব্ৰজন বন্ধ কৰিব পাৰি? প্ৰথম কথা হ'ল, চৰকাৰে অতিশীঘ্ৰে আমাৰ সীমান্তবিলাকত সুদৃঢ় পহৰা দিয়াৰ ব্যৱস্থা হাতত লোৱাতো। আমাৰ চৰকাৰে এইক্ষেত্ৰত কিবা কঠোৰ ব্যৱস্থা হাতত লোৱাতো।

অসমৰ ডেকাচামৰ নৈতিক সবলতাইও অসমৰ বাহিৰৰ ভাৰতীয় মানুহৰ প্ৰব্ৰজন বন্ধ কৰাত সহায় কৰিব পাৰে। অসমৰ ডেকাচামে যদি স্বাবলম্বী হোৱাৰ পথত অগ্ৰসৰ হয়, শ্ৰমৰ মর্যাদা দি নিবনুৱা সমস্যা লাঘৱ কৰাৰ ব্যৱস্থা হাতত লয়, থলুৱা লোকসকলক ব্যৱসায় বানিজ্য প্ৰতিষ্ঠা কৰাত সাহায্য আগ বঢ়ায়, তেনেহ'লেও আমাৰ সমস্যাবিলাকৰ বৃদ্ধি হ'ব নোৱাৰে বুলি বিশ্বাস কৰিব পাৰি। উদ্যোগজীবী, শ্ৰমজীবী, বা ব্যৱসায়ী হৈ যদি অসমৰ নতুন পুৰুষে নতুন শক্তিৰে আগুৱাই যায়, তেনেহ'লেও আমাৰ দেশৰ সম্পদ আমাৰ হাততে থাকি যায়। বাহিৰৰ পৰা অহা লোকসকলে যদি ব্যৱসায় বানিজ্য কৰাৰ সুযোগ আৰু নতুনকৈ নাপায়, তেনেহ'লে এদিন নহয় এদিন বহিৰাগতৰ সুঁতি বন্ধ হৈ পৰাটো স্বাভাৱিক কথা। এতিয়াৰ পৰাই যদি অসমীয়া মানুহৰ মন এনেধৰণে তৈয়াৰ নহয়, তেন্তে যুগ যুগ ধৰি আন্দোলন চলালেও আমাৰ এই সমস্যাবিলাকৰ সমাধান নহয়। বর্তমান আন্দোলনৰ পৰিপ্ৰেক্ষিততো এই দিশবিলাকৰ প্ৰতি লক্ষ্য ৰাখি প্ৰচাৰ কার্য হাতত ল'লে আৰু সেই মতে কার্যকৰী ব্যৱস্থা গ্ৰহণ কৰিলে নতুন অসমৰ জন্ম হ'বলৈ আৰু বেছি সময় নালাগে।

লাখ লাখ বিহাৰী বনুৱাও আমাৰ অসমত আছে। ৰিক্সা চলোৱাৰ পৰা মাটি কটালৈকে সকলোবিলাক কাম তেওঁলোকে কৰে। যিকোনো এটা ডাকঘৰলৈ গৈ খবৰ কৰিলেই অনুমান কৰিবলৈ সমর্থ হ'ব পাৰিব—যে কিমানখিনি টকা প্ৰতি মাহে মাহে তেওঁলোকে আমাৰ দেশৰ পৰা উপার্জন কৰি নিজৰ ঘৰলৈ পঠাব লাগিছে। কত সম্বলহীন অসমীয়া মানুহেৰে দেশ ভৰি আছে অথচ পৰিশ্ৰম কৰাটো লাজৰ কথা বুলি ভাবি বহুতে অনাহাৰে দিন কটাব লাগিছে। সকলো দেশতে শ্ৰমৰ মর্যাদা থকা সত্বেও আমাৰ দেশৰ লোক সকলে এইটো এটা সৎকার্য বুলি গ্ৰহণ কৰিবলৈ মানসিকভাৱে প্ৰস্তুত নোহোৱাৰ কাৰণ কি? দলে-বলে বিহাৰৰ পৰা অনুপ্ৰেৰণ কৰি থকা এইসকল বনুৱাৰ গতিপথ ৰুদ্ধ কৰা মানেই জানো অসমৰ পৰা বহিৰাগতৰ সংখ্যা লাঘৱ কৰা নহয়? এনে কৰিলেই অসমীয়া জাতিয়ে নতুন শক্তি লাভ কৰিবলৈ সমর্থ হ'ব।

সদৌ অসম ছাত্ৰ সস্থা আৰু গণসংগ্ৰাম পৰিষদে ১৯৫১ চনৰ লোকপিয়ল আৰু ১৯৫২ চনৰ নাগৰিক পঞ্জীক ভিত্তি কৰিব অসমৰ পৰা বিদেশী খেদিবলৈ আন্দোলন চলাইছে। এই দাবী ভাৰতীয় সংবিধানসম্মত আৰু এই দাবীৰ যুক্তি মানি লৈ অসমৰ জনসাধাৰণে এই আন্দোলনত মনেপ্ৰাণে সমর্থন জনাইছে।

বর্তমানৰ বিদেশী বহিষ্কাৰৰ আন্দোলন, অসমৰ পক্ষে সঁচাকৈয়ে এটা অভূতপূর্ব আন্দোলন। এনেধৰণৰ গণ-সমাবেশৰ দৃষ্টান্ত ইতিপূর্বে কেতিয়াও দেখা পোৱা নাই। আজি দেৰ বছৰ ধৰি এই অহিংস আন্দোলনে অসমীয়া মানুহৰ মনত গভীৰ আলোড়নৰ সৃষ্টি কৰিছে। চৰকাৰে এই আন্দোলন বন্ধ কৰাৰ ক্ষেত্ৰত যিমানেই কি দমনমূলক ব্যৱস্থা হাতত নলওক—তাৰ দ্বাৰা এই আন্দোলন বন্ধ হ'ব পাৰে বুলি মই নাভাবো। নাৰেঙা ঘাৰ নিচিনাকৈ এফালেদি ভাল হ'লেও আকৌ আনফালে ই ফুটি উঠিব। সাময়িকভাৱে এই আন্দোলন স্থগিত হৈ থাকিলেও বিভিন্ন সময়ত, বিভিন্ন ৰূপত বিভিন্ন ধৰণে প্ৰকাশ পাব। ইচ্ছা কৰা হ'লে চৰকাৰে এই আন্দোলনৰ বহুখিনি দাবী মানি লৈ এই সমস্যাৰ সমাধান সাধন কৰিব পাৰিলেহেঁতেন আৰু এইদৰেই দেশত পুনৰ শান্তি প্ৰতিষ্ঠিত হ'লহেঁতেন। এই আন্দোলন অসমীয়া ৰাজ্যৰ নায্য আন্দোলন—এদিন নহয় এদিন এই আন্দোলনে জয়লাভ কৰিবলৈ সমর্থ হ'ব। কাৰণ, এটা জাতিৰ জনসাধাৰণৰ অকৃত্ৰিম দাবী অস্বীকাৰ কৰাৰ ক্ষমতা এই পৃথিবীৰ কোনো দেশৰ কোনো শক্তিৰে নাই। আমাৰ মাজত চৰকাৰে যিমানেই বিভেদ সৃষ্টিৰ প্ৰয়াস নকৰক, এই আন্দোলনৰ জয় অৱশ্যম্ভাবী। খিলঞ্জীয়া মানুহতকৈ বিদেশী মানুহৰ সংখ্যা বেছি, এনেকুৱা দেশ পৃথিবীৰ কতো থাকিব নোৱাৰে।

বিদেশী এদিন ওলাই যাব লাগিবই। যিবিলাক বহিৰাগত ভাৰতৰ অন্যান্য দেশৰ পৰা আহিছে তেওঁলোকক আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ লগত পৰিচয় ঘটাই দি আমাৰ আপোন কৰি তুলিব লাগিব। যিবিলাকে আমাৰ দেশক আপোন বুলি ভাবি আমাৰ উন্নতিত অবিহণা যোগাব নোখোজে, তেওঁবিলাক যথার্থতে আমাৰ দেশত থাকি সুখী হ'ব পাৰিবনে? আমাৰ ভাষা-সাহিত্য, বুৰঞ্জী, কৃষ্টি আৰু ঐতিহ্যৰ সহায়ত যিসকল লোকক আপোন কৰি ল'ব পাৰি- সেইসকলক আমাৰ বুকুত সাৱটি লোৱাত কোনো আপত্তি থাকিব নোৱাৰে এইকাৰণেই যে জাতি, ভাষা আৰু সংস্কৃতি মাত্ৰেই সমন্বয়ৰ ফলস্বৰূপে। কি ব্যৱস্থা হাতত ললেনো আমাৰ এই সমস্যাবিলাকৰ সমাধান ঘটিব এই বিষয়েও গভীৰভাৱে চিন্তা কৰিবলৈ মই আপোনালোকক অনুৰোধ জনাইছোঁ।

দেশ গঠনত সাহিত্যিক সকলৰ ৰৰঙণি

দুখৰ বিষয় যে, অসমীয়া সাহিত্যিক সকলৰ বেছিৰ ভাগেই অতি দুখীয়া। সাহিত্যৰ চর্চা কৰি কিতাপ পত্ৰ লিখি জীৱিকা নির্বাহ কৰিবৰ সুযোগ অসমীয়া সাহিত্যিকৰ নাই। পদুৱৈ সমাজ অসমত গঢ়ি উঠা নাই, তেনেকৈ গঢ়িবৰ ব্যৱস্থাও হোৱা নাই। আমাৰ অসম সাহিত্য সভাৰ শাখা সভাবিলাকে গাঁৱে গাঁৱে পুথিভঁৰাল স্থাপন কৰিবৰ চেষ্টা চলাব পাৰে। তাৰ পৰা গাঁৱলীয়া সমাজৰ যথেষ্ট সুবিধা হ'ব, সাহিত্যৰ প্ৰচাৰ বাঢ়িব আৰু লিখক আৰু পদুৱৈৰ মাজত ঘনিষ্ঠ সম্বন্ধ গঢ়ি উঠিব।

নানা অসুবিধাৰ মাজেদিয়ে আমাৰ সাহিত্যিকসকলে একনিষ্ঠভাৱে সাহিত্য চর্চা কৰি আহিছে। যোৱা একুৰি বছৰমান ভিতৰতে অসমীয়া সাহিত্যৰো যথেষ্ট উন্নতি হৈছে বুলি ক'ব পাৰি। আমাৰ সাহিত্যিকসকলে এইদৰে সাহিত্য চর্চাত লাগি থাকিলে আমাৰ দেশ সাহিত্য বিষয়ত আন আন উন্নত দেশৰ ওচৰ চাপিব পৰা হ'ব অতি সোনকালে।

দেশ গঠনৰ কামত কবি সাহিত্যিক সকলৰ দায়িত্ব অতি গধূৰ। এইটো কথা সঁচা যে উদাৰ মনোবৃত্তি লৈ উন্নত সাহিত্য ৰচনা কৰিব নোৱাৰিলে, এইবোৰ সাহিত্যৰ একো মূল্য নাই। শিশু সাহিত্যই হওঁক, প্ৰবন্ধ, নাটক, গল্প, উপন্যাস আদি যিহকে আমি ৰচনা নকৰোঁ, আমাৰ গভীৰ আন্তৰিকতাৰ পৰশ তাত থাকিব লাগিব, আৰু লক্ষ্য থাকিব লাগিব আমাৰ ন-পুৰুষ আৰু ভৱিষ্যত বংশধৰ সকলৰ মংগল কামনাত। আমাৰ দেশবাসীক আমি যদি দেশপ্ৰেমৰ প্ৰেৰণা দিব নোৱাৰোঁ, সমাজৰ বিভিন্ন গোষ্ঠীৰ মানুহক যদি আমি একতাৰ ডোলেৰে বান্ধিব নোৱাৰোঁ, পটুৱৈ সমাজক যদি আমি উচ্চ আদৰ্শ দিব নোৱাৰোঁ, তেন্তে আমাৰ সাহিত্য ৰচনাৰ সাৰ্থকতা ক'ত? অশ্লীল সাহিত্যৰ ৰচনা কৰি দেশবাসীৰ মন কলুষিত কৰি অধঃপনতৰ বাট দেখুৱাই দিয়াৰ নিচিনা অন্যায় কাম আৰু নাই।

আমাৰ বৰ্তমান বৰ সংকট পূৰ্ণ সময়। আমাৰ সমস্যাও বহুত, নতুন নতুন সমস্যা আৰু বাঢ়ি আহিছে। আমাৰ সাহিত্যিক সকলে আমাৰ কৰ্মবিমুখ ডেকাচামক দেশ প্ৰেমত দীক্ষা দি ব্যৱসায় বাণিজ্যত আগবঢ়াই দিব নোৱাৰেনে গল্প, কবিতা, নাটক, উপন্যাসৰ মাজেদি প্ৰেৰণা জগাই? আমাৰ ডেকাচামে যদি বেপাৰ বাণিজ্যত জপিয়াই পৰিলেহেঁতেন, আমাৰ অসমৰ অভাৱ অভিযোগ, আৰ্থিক দুৰৱস্থা নাথাকিলেহেঁতেন আৰু বহিৰাগত ব্যৱসায়ীসকল অসমত ব্যৱসায় বানিজ্যৰ সুযোগ নাপাই নিজ নিজ দেশলৈ গুছি গ'লহেঁতেন। আমাৰ ডেকাচামক (dignity of labour) বুজাৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰিবলৈ উদ্‌গনি দিব নোৱাৰেনে, যাতে লাখ লাখ বিহাৰী বনুৱাৰ অসমলৈ প্ৰব্ৰজন কমি আহিব পাৰে। আমাৰ মানুহে ৰিক্সা চলাব নোৱাৰে নে, নে মাটি কাটি বাট, ডোং আদি বনাব নোৱাৰে? আমাৰ ডেকাচামে যদি ব্যৱসায় বানিজ্যত নানামে, আমাৰ ডেকা বনুৱাবিলাকে যদি শাৰীৰিক পৰিশ্ৰমৰ মৰ্যাদা নুবুজে, আমাৰ অসম সোণৰ অসম হৈ নাথাকে। আমাৰ সাহিত্যিক সকলে তেওঁবিলাকক কৰ্মত প্ৰেৰণা দিয়াৰ দায়িত্বৰ পৰা এৰাই যাব নোৱাৰে।

পৃথিবীৰ প্ৰত্যেক জাতিৰে চিন্তাধাৰা, চৰিত্ৰ আৰু আদৰ্শৰ একোটা বৈশিষ্ট্য থাকে, অসমীয়াৰো আছে। অসমীয়াৰ জাতীয় চৰিত্ৰ আৰু আদৰ্শত উচ্চ প্ৰেৰণা জগাই তুলি জাতীয় জীৱন উন্নততৰ কৰিব পাৰিলে আমাৰ কবি সাহিত্যিক সকলৰ জীৱন সাৰ্থক আৰু মহীয়ান হ'ব।

বিশ্বপ্ৰেমৰ অৰ্থ কি? নিজৰ দেশক যি ভাল পায়, নিজৰ মাতৃভূমিওৰ সেৱা যিজনে কৰে, তেওঁক বিশ্বপ্ৰেমিক কোৱা নাযায় জানো? বিশ্বপ্ৰেমিকে নিজৰ দেশৰ প্ৰতি অৱহেলা কৰি সমস্ত পৃথিবীকে ভাল পাব পাৰে জানো?

সংসাৰত এনেকুৱা ধৰণৰ বিশ্বপ্ৰেমিকৰ কোনো দাম নাই। নিজৰ দেশক প্ৰাণ দি ভাল পাব শিকা, নিজৰ দেশৰ সেৱা কৰিবলৈ শিকা তাতে নিজৰ দেশৰ মাত্ৰ নহয় জগতৰ মংগল হ'ব। আমাৰ সাহিত্যিক সকলে আমাৰ দেশৰ হীনতা, ত্ৰুটীবিচ্যুতি দোষ ইত্যাদি দেখুৱাই দিয়ক, আমাৰ মানুহক উচ্চ আদৰ্শ আৰু প্ৰেৰণা দি সৎকামত সকলো বিষয়তে আগবঢ়াই নিয়াৰ চেষ্টা কৰক, তাতে দেশ উন্নত হ'ব আৰু আমাৰ সাহিত্যিক সকলেও মহীয়ান হ'ব।

অসম সাহিত্য সভাই আজি ৪৭ বছৰে অসমৰ উন্নতিৰ হকে কাম কৰি আহিছে,—বিশেষকৈ অসমীয়া ভাষা আৰু সাহিত্যিৰ উন্নয়নৰ ক্ষেত্ৰত সাহিত্য চৰ্চা আৰু প্ৰচাৰ কাৰ্যত, অসমীয়া ভাষাত উচ্চমান বিশিষ্ট সাহিত্য সাহিত্য ৰচনা কৰিবৰ বাবে কবি সাহিত্যিক সকলক প্ৰেৰণা যোগাই। দেশৰ বিপদৰ সময়ত বহুত ক্ষেত্ৰতে অসম সাহিত্য সভাই মাত মাতি আহিছে,—এই দেশৰ নেতৃবৃন্দক আৰু কবি সাহিত্যিক সকলক প্ৰেৰণা যোগাইছে। আজি অসম সাহিত্য সভা অসমৰ জনসমাজৰ মিলনৰ কেন্দ্ৰস্থল, একতাৰ মূৰ্ত প্ৰতীক। অসম সাহিত্য সভা অসম দেশৰ সৰ্ববৃহৎ আৰু শ্ৰেষ্ঠ জাতীয় অনুষ্ঠান। এই অনুষ্ঠানে জাতীয় সমৰ্থন পাই আহিছে আৰু এইদৰে ঐতিহ্যও গঢ়ি উঠিছে।

কোনোবাই অসম সাহিত্য সভা বেয়া, 'অসম সাহিত্য সভাইনো কি ডাল কৰিছে' বুলি ক'লেই, অসম সাহিত্য সভা বেয়া হৈ নাযায়। এনেদৰে কোৱাৰ কাৰণে অসম সাহিত্য সভাৰ ওপৰত জনসাধাৰণৰ আস্থাও নকমে। কিন্তু সকলো কাম অসম সাহিত্য সভাই কৰিব পাৰিব বুলি আশা বাখিব পাৰি নে? নোৱাৰি। এই অনুষ্ঠানৰো দোষত্রুটি নিশ্চয় আছে। দেশত অৱস্থাৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ ভাবধাৰাও বদলি হৈ আহে, সময়োপযোগী ভাবধাৰাবোৰ গ্ৰহণ কৰি অসম সাহিত্য সভাই কাৰ্যকৰী কৰিবৰ

চেষ্টা কৰিলে যথার্থতে দেশৰ মংগল হ'ব আমাৰ ভাবধাৰাবোৰ ৰক্ষণশীল হ'ব নালাগে—গতিশীল ডাঙৰ নদৰ দৰে বাটত বহু নদী আৰু জুৰিক বুকুত সাবটি লৈ আমি মহাসমুদ্ৰৰ পথত গতি কৰিব লাগিব।

অসমত যিসকল জনগোষ্ঠীৰ মানুহ আছে, ভাৰতৰ অন্যান্য প্ৰদেশৰ যিসকল মানুহ ইয়াত স্থায়ীভাৱে বসতি কৰিবলৈ লৈছে—সেইবিলাকৰ সমস্যাবোৰ আমি জানি ল'ব লাগিব, মীমাংসাৰ চেষ্টা কৰি ল'ব লাগিব আমাৰ বুকুৰ মৰমেদি, আমাৰ ভাষা, উন্নত সাহিত্য, কৃষ্টি সভ্যতা আৰু ঐতিহ্যৰ মাজেদি আমাৰ অন্তঃকৰণ বহল আৰু উদাৰ হ'ব লাগিব,—প্ৰয়োজন হ'লে আমাৰ এই অনুষ্ঠানৰ নিয়মতন্ত্ৰবোৰকো সলনি কৰি ল'ব লাগিব, কাৰণ দেশ আৰু জাতিৰ সেৱাই আমাৰ লক্ষ্য—এই লক্ষ্যৰ পৰা আঁতৰিবৰ উপায় আমাৰ নাই। সুধীসকল!

অৱশেষত মই অসম সাহিত্য সভাৰ সংগঠনৰ বিষয়ে কিছুমান কথা আপোনালোকৰ আগত নিবেদন কৰিব খুজিছোঁ। অসমৰ নতুন নতুন পৰিস্থিতিলৈ লক্ষ্য ৰাখি অসমৰ ৰাজনৈতিক অৱস্থা, সামাজিক পৰিস্থিতি, ভাষা, সাহিত্য কৃষ্টি আদি বিকাশৰ বাবে অসম সাহিত্য সভাক কাৰ্যক্ষম কৰি তুলিবলৈ ইয়াক নতুন ভাবে গঢ় দিবৰ প্ৰয়োজন আছে বুলি মই বিশেষভাবে অনুভৱ কৰিছোঁ।

মই যি বুজিছোঁ, প্ৰতি বছৰে বেছি বয়সীয়াল সাহিত্যিক সকলক অসম সাহিত্য সভাৰ সভাপতিৰ আসনত বৰণ কৰা হৈছে, সভাপতিৰ আসনত বছৰাই সভাপতিজনক সাহিত্যিক হিছাপে জাতীয় সন্মান প্ৰদৰ্শনৰ কাৰণে। এনেকুৱা বয়সত সভাপতিজনক আসনত বছৱা হয়, যেতিয়া বয়সৰ কাৰণে সভাপতিজনৰ কৰ্মক্ষমতা হ্ৰাস পাই আহে। গতিকে সভাপতিয়ে কৰিবলগীয়া গধুৰ কামবোৰ বয়সৰ হেঁচাত কৰিব নোৱাৰা হয়।

আমাৰ বয়সীয়াল উপযুক্ত আৰু সন্মানিত সাহিত্যিক সকলক জাতীয় সন্মান আনভাৱে দিব নোৱাৰোঁনে? নিশ্চয় পাৰোঁ; তাৰ ব্যৱস্থাও আমি কৰিব লাগিব। এবছৰীয়া সভাপতি পদত বছৱাই জাতীয় সন্মান প্ৰদৰ্শন কৰাৰ প্ৰথা উঠাই দিয়াৰ প্ৰয়োজন আছে। কাৰণ এনেধৰণে চলি থাকিলে সাহিত্য সভাৰ বহু কাম চিৰদিনলৈ এনেয়ে পৰি থাকিব আৰু তাৰ ফলত জাতীয়তাৰ বিকাশ হোৱাৰ বাট অৱৰুদ্ধ হ'ব।

আজি আপোনালোকৰ ওচৰত এটা কথা সুধিবৰ আৱশ্যকতা বিশেষকৈ অনুভৱ কৰিছোঁ। আপোনালোকে সাহিত্য সভালৈ অসমৰ সকলো ঠাইৰ পৰা ধন ভাঙি কষ্ট কৰি আহে কিহৰ আগ্ৰহত? কেৱল সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ শুনিবৰ কাৰণেই নে? দেশৰ কামত সহায় কৰিবলৈ নহয়? সাহিত্য সভাৰ দেশ গঠনমূলক কামবোৰত সহায় কৰিবলৈ, উদ্‌গনি দিবলৈ, সাহিত্য সভাৰ দোষত্রুটিবিলাক আঙুলিয়াই দি তাক সজ পথলৈ লৈ যাবলৈ নহয় নে?

মোৰ দ্বিতীয় প্ৰশ্ন— সভাপতিজনৰ অকল সভাপতিৰ অভিভাষণ পাঠ কৰিবৰ কাৰেণেই নে? সভাপতিজনৰ কৰ্তব্য অভিভাষণ পাঠ শেষ কৰাৰ লগে লগে শেষ হ'বনে? মহৎ উদ্দেশ্য লৈ যিজনে দেশৰ কাম কৰিবলৈ আগবাঢ়ি আহে, সেইবোৰ তেওঁ একোকে কৰিব নালাগে নেকি? মোৰ বক্তব্য এই যে, সভাপতিজন কাম কৰিবলৈহে আহে, তেওঁক কাম কৰিবৰ সুযোগ আৰু সময় দিব লাগে। সাহিত্য সভাৰ নিয়মতন্ত্ৰ মতে নতুন সভাপতি নিৰ্বাচিত হয় অক্টোবৰ মাহৰ শেষ ভাগত, সভাপতিৰ কামৰ ভাৰ পায় ফেব্ৰুৱাৰী, মাৰ্চ, এপ্ৰিল বা মে মাহত, আকৌ নতুন নিৰ্বাচনীৰ যো-জা চলে আগষ্ট, ছেপ্টেম্বৰ মাহত। গতিকে সভাপতিজনে কাম কৰিবলৈ সময় পায় মুঠ পাঁচ বা ছমাহ মাথোন। এইটো একেবাৰে গতানুগতিক, যন্ত্ৰৰ নিচিনা— কাম কৰাৰ কথা ইয়াত একো নাই।

গতিকে আপোনাকোৰ ওচৰত মোৰ বিনীত নিবেদন এয়,—

(১) অসম সাহিত্য সভাৰ সভাপতিৰ পদ দুবছৰীয়া কৰা হওক, যাতে সভাপতিজনে কাম কৰাৰ সময় আৰু সুযোগ পায়।

(২) কাৰ্যকৰী সমিতিৰ (উপ-সভাপতি, সম্পাদক, সহকাৰী সম্পাদক ইত্যাদি সকলোকে ধৰি) আয়ুস কাল দুবছৰীয়া কৰা হওক, যাতে নিৰ্দিষ্ট কামৰ পৰিকল্পনা কৰি কাম-সমাধা কৰিবৰ সময় আৰু সুযোগ পায়।

(৩) অসমৰ প্ৰতি জিলাৰ পৰাই এই মহৎ অনুষ্ঠানত প্ৰতিনিধি অহাৰ ব্যৱস্থা কৰিব লাগিব, যাতে অসমৰ প্ৰতি জিলাৰ

মানুহে এই অনুষ্ঠানক আপোন কৰি ভাবিব পাৰে।

(৪) অসম সাহিত্য সভাৰ প্ৰায় চাৰিশৰ ওপৰ শাখা সভা আছে। এই শাখা সভাবোৰক কাৰ্যকৰী কৰি তুলিবলৈ বিশেষ আঁচনি তৈয়াৰ কৰি কামত লগোৱাৰ ব্যৱস্থা কৰিব লাগিব— নিষ্ক্ৰিয় শাখা সভাবোৰক গতিশীল কৰাৰ ব্যৱস্থা কৰিব লাগিব। সময়ৰ আৱশ্যক হ'ব এইবোৰ বিষয়তে। নতুন নতুন লিখক তৈয়াৰ কৰাৰ ব্যৱস্থা শাখা সভাবিলাকেও গ্ৰহণ কৰিব পাৰিব।

(৫) অসম সাহিত্য সভাৰ অধিৱেশন আগৰ দৰে প্ৰতিবছৰে হৈ থাকিব।

(৬) এই বছৰৰ পৰাই এইবোৰ প্ৰস্তাৱ কাৰ্যকৰী কৰা হওক।

অতীজত নলবাৰী, ৰৰপেটা অভয়াপুৰী, টিহু আদিৰ অধিবেশনত অসম সাহিত্য সভাৰ সভাপতিৰ আৰু কাৰ্যকৰী সমিতিৰ মেয়াদ দুবছৰ হ'ব লাগে বুলি বাৰে বাৰে প্ৰস্তাৱ উঠিছিল। কিন্তু সাহিত্য সভাৰ দুই এজন কৰ্মকৰ্তাৰ অত্যন্ত ৰক্ষণশীল মনোভাব আৰু অদ্ভুত ধৰণৰ নিয়মতন্ত্ৰৰ কাৰণে পৰিবৰ্তন সম্ভৱ হৈ উঠা নাই।

এই বছৰ সাহিত্য সভাৰ সভাপতি পদত নিৰ্বাচিত হোৱাত প্ৰায় ষোল্লশ মানুহে টেলিগ্ৰাম, চিঠি আদি যোগে মোক অভিনন্দন জনাইছিল। তাৰে ভিতৰত অসমৰ সকলো ঠাইৰ তিনিশমান চিন্তাশীল মনিষীসকলে অসম সাহিত্য সভাৰ সভাপতিৰ মেয়াদ দুবছৰীয়া কৰিব লাগে বুলি লিখিত উপদেশ দিছিল—অসমৰ মংগলৰ ফালে লক্ষ্য ৰাখি।

ৰাইজতকৈ ডাঙৰ কোনো নাই। আপোনালোকে সকলোৱে এই বিষয়ে সম্মতি দিলে আমি এইবোৰ নিয়ম সলনি কৰিলম। মানুহ জীয়াই থাকিবৰ কাৰণে আৰু দেশসেৱাৰ কাৰণেই, নিয়মতন্ত্ৰক ৰক্ষা কৰিবৰ কাৰণে মানুহৰ জন্ম হোৱা নাই; এই কথা আপোনালোকে অনুগ্ৰহ কৰি মনত ৰাখিলে দেশৰ মংগল নিশ্চয় হ'ব।

কিছুদিন আগতে অসম সাহিত্য সভাৰ বিপক্ষ দল এটাই বিৰোধী সাহিত্য সভা এটা গঠন কৰিবৰ প্ৰচেষ্টা ল'ব খুজিছিল। সুখৰ বিষয় এই যে তেওঁবিলাকে এই বিষয়ত আৰু আগ নাবাঢ়িলে।

কি কি কাৰণত বিৰক্ত হৈ বিপক্ষ দল তৈয়াৰ হৈছিল? বিৰোধী সাহিত্য সভা গঠন কৰাৰ প্ৰয়োজনীয়তা কিয় কল্পনা কৰিব লগা হৈছিল? যুক্তিসংগত কাৰণ আছিল নে? এতিয়াও এইবোৰ কাৰণ আছে নেকি? এইবোৰ কথা আমি সকলো চালি জাৰি চাৰৰ প্ৰয়োজন আছে। যথাৰ্থতে উপযুক্ত কাৰণ থাকিলে সেইবোৰৰ প্ৰতিকাৰ কৰিবৰ প্ৰয়োজন আছে, নহ'লে এই অনুষ্ঠানৰ প্ৰতি দেশবাসীৰ অকুণ্ঠ সমৰ্থন কমি আহিব। আমাৰ ভুলৰ কাৰণে দেশত যাতে অশান্তি আৰু অমংগল আহিব নোৱাৰে, তাৰ বাবে আমি সতৰ্ক দৃষ্টি ৰাখিব লাগিব।

অতীতৰ এজন অতি জনপ্ৰিয় আৰু ক্ষমতাশালী মহাৰাজৰ স্মৃতিত পতা এই 'সৰ্বানন্দ সিংহ নগৰ'ত এই অঞ্চলৰ সৰ্বসাধাৰণৰ একান্ত আগ্ৰহত, আমি আজি সমগ্ৰ অসমৰ সাহিত্যিক আৰু শিক্ষিত সমাজে একত্ৰ হৈ সংকল্প গ্ৰহণ কৰিছোঁ— দেশ সেৱাৰ কাৰণে; অসমীয়া ভাষা সাহিত্য আৰু কৃষ্টিৰ বিকাশত যদি কিবা হেঙাৰ থাকে, সেইবোৰ দূৰ কৰিবৰ কাৰণে; অসমীয়া জাতিৰ প্ৰতিভা বিকাশত সহায় কৰিবৰ কাৰণে।

ভগৱানৰ ওচৰত মোৰ অসীম বিশ্বাস। মোৰ দৃঢ় বিশ্বাস, ভগৱানে নিশ্চয় আমাৰ এই প্ৰচেষ্টাত সকলো প্ৰকাৰে সহায় কৰিব, আৰু আমাৰ সৎ উদ্দেশ্য পূৰণ কৰিব।

-- * --

সভাপতিৰ অভিভাষণ

ৰাংছিনা নগৰ, ডিফু

সীতানাথ ব্ৰহ্মচৌধুৰী

অভ্যৰ্থনা সমিতিৰ সভাপতি, সম্পাদক আৰু সদস্যবৰ্গ, অসম সাহিত্য সভাৰ প্ৰতিনিধিসকল আৰু সাহিত্যপ্ৰেমী সুধীবৃন্দ,

সৰ্বপ্ৰথমে মই আপোনালোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আগবঢ়াইছো। মই এজন অতি সাধাৰণ সাহিত্যপ্ৰেমী ব্যক্তি। মোৰ অতি ক্ষুদ্ৰ শক্তিৰে অসমীয়া সাহিত্যৰ আৰু দেশৰ সেৱা কৰিবৰ চেষ্টা কৰি আহিছো। যোৱা বছৰ, দেশৰ দুৰ্দিনৰ সময়ত তিনিচুকীয়া অধিৱেশনত আমাৰ দেশবাসীৰ কৰ্তব্য সম্বন্ধে কিছুমান কথা উনুকিয়াই আহিছিলো দেশৰ মংগলৰ ফালে লক্ষ্য ৰাখি। এই বছৰো অসমবাসীয়ে অসম সাহিত্য সভাৰ সভাপতিৰ পদ এই অভাজনৰ ওপৰত জাপি দিছে। দেশবাসীৰ এই মৰম মই মূৰ দোঁৱাই গ্ৰহণ কৰিছো, মোৰ অযোগ্যতা আৰু অক্ষমতা সত্ত্বেও। মই মোৰ কৰ্তব্য পালন কৰিবৰ নিশ্চয় চেষ্টা কৰিম। দেশৰ এনেকুৱা সময়ত অসম সাহিত্য সভাক সকলো প্ৰকাৰে সেৱা কৰিবৰ চেষ্টা কৰিবই লাগিব, তাৰ উপৰিও দেশবাসীক প্ৰেৰণা দিব লাগিব সংহতি আৰু সমন্বয়ৰ মহান জাতি এটাত পৰিণত কৰিবলৈ। আশা কৰোঁ, দেশবাসীয়ে মোক অক্ষমতাবোৰ ক্ষমা কৰি মোক সকলোপ্ৰকাৰে সহায় কৰিবলৈ নিশ্চয় চেষ্টা কৰিব। এয়েই মোৰ একান্ত অনুৰোধ।

আজি আমি কাৰ্বি ভাই-ভনীসকলৰ নিমন্ত্ৰণৰ প্ৰতি সহাঁৰি জনাই ডিফু নগৰীত আটাইয়ে মিলিত হৈছো। কাৰ্বি ভাই-ভনীসকলে আমাক হিয়া-ভৰা চেনেহ প্ৰীতিৰে নিমন্ত্ৰণ জনাইছে বুকুৰ কুটুম বুলি জানি। আমি অসমৰ সকলো অঞ্চলৰপৰাই নিজ নিজ ঠাইৰ প্ৰতিনিধি হিচাপে আহিছো আমাৰ বুকুৰ কুটুমসকলৰ ওচৰত, কাৰ্বি আংলঙৰ প্ৰাণকেন্দ্ৰ ডিফু নগৰীত। আমি মিলিত হৈছো তেওঁলোকৰ আশা-আকাংক্ষাৰ লগত বুজাবুজি হ'বৰ বাবে আৰু তেওঁলোকৰ ভৱিষ্যত পৰিকল্পনাৰ সৈতে পৰিচিত হ'বৰ বাবে। আমিও চাব লাগিব তেওঁলোকৰ আশা-আকাংক্ষা, ভৱিষ্যতৰ পৰিকল্পনা উন্নতিৰ প্ৰচেষ্টাত সকলো প্ৰকাৰে সহায় কৰিবৰ বাবে। তেওঁলোক আমাৰ অতিকৈ আপোন।

কাৰ্বি আৰু অন্যান্য জনজাতিসকলৰ সমস্যা ঃ

কাৰ্বি ভাই-ভনীসকলৰ বহুতো সমস্যা আছে। তেওঁলোকৰ নিজস্ব ভাষা আছে যি ভাষা এতিয়াও অনুন্নত। সেই ভাষাৰ উন্নতিত আমিও যথেষ্ট অৰিহণা যোগাব লাগিব। আনহাতে ৰাজ্যভাষা অসমীয়াকো তেওঁলোকক শিকোৱাৰ ব্যৱস্থা কৰিব লাগিব। কাৰ্বি-অসমীয়া এই দুই ভাষাৰ কিদৰে উন্নতি কৰা যায় সেয়াও চিন্তা কৰিব লগা বিষয়।

কাৰ্বিসকলৰ দ্বাৰা অধ্যুষিত অঞ্চলবোৰ লৈ এই জিলাখন গঠিত হৈছে। এই জিলাখন আওহতীয়া আৰু অনুন্নত। এইবিলাক অঞ্চলত বাট-পথ তৈয়াৰ কৰি উন্নত কৰি তোলাৰ ভাৰ আৰু উন্নতিৰ সকলো সুযোগ দিয়াৰ ভাৰ অসম চৰকাৰৰ। অসম চৰকাৰে এইবোৰ কামৰ দায়িত্ব এৰাই যাব নোৱাৰে। আমি আমাৰ বুকুৰ কুটুমসকলক চিৰদিন অনুন্নত কৰি ৰাখিব নোৱাৰোঁ। আমি সকলোৱে একেখন দেশৰে অধিবাসী, এই দেশতে আমি অনন্তকাল বাস কৰিব লাগিব। সেয়ে এই দেশ অতি সুন্দৰ, সকলো প্ৰকাৰে আদৰ্শৰ আৰু শান্তিৰ দেশ কৰি গঢ়ি তুলিব লাগিব।

কাৰ্বি ভাই-ভনীসকলৰ যিদৰে নানা সমস্যা আছে, এনেকুৱা সমস্যা আন আন জনজাতীয় লোক সকলবো আছে। মিচিং ভাই-ভনীসকলৰ সমস্যাবোৰো প্ৰায় একেই। মিচিং ভাই-ভনীসকলেও নিজা ভাষা প্ৰচলন কৰিবলৈ চেষ্টা কৰিছে। সেইবুলি

তেওঁলোকে ৰাজ্যভাষা অসমীয়া শিকিবলৈ প্ৰত্যাখ্যান কৰা নাই। তেওঁলোকৰ ভাষা সমস্যাৰ কথাও চিন্তা কৰিব লাগিব আৰু এইবোৰ সমস্যা সমাধানৰ পথো উলিয়াব লাগিব। তেওঁলোকো আওহতীয়া ঠাইত থাকে। বৰ্তমান সভ্যতাৰ সকলো সুযোগ তেওঁলোককো দিয়াৰ আৰু দিয়াবৰ ব্যবস্থা কৰাৰ চেষ্টা কৰিব লাগিব।

টিয়া আৰু ৰাভা সম্প্ৰদায়ৰ কথাও প্ৰায় একেধৰণৰ। ৰাভাসকলেও তেওঁলোকৰ ভাষা প্ৰচলনৰ যত্ন লৈছে। তেওঁলোককো আমি সকলো প্ৰকাৰে সহায় কৰিব লাগিব।

বড়ো ভাষাও বহুদূৰ আগবাঢ়িছে। বৰ্তমানে বড়ো ল'ৰা-ছোৱালীবিলাকে স্নাতক শ্ৰেণীলৈকে বড়ো ভাষা MIL হিচাপে পঢ়িবলৈ লৈছে। বড়ো ভাষাৰ বিকাশো কিছুদূৰ আগবাঢ়িছে। বহুত বছৰৰ চেষ্টা আৰু পৰিশ্ৰমৰ ফলত বড়ো ভাষাই আজি এই অৱস্থাত আহি পাইছে; এইদৰে চেষ্টা যত্ন চলাই থাকিলে বড়ো ভাষাই আৰু বহুদূৰ আগুৱাব পাৰিব।

অনুসন্ধান কৰিলে দেখা যায়, প্ৰত্যেকটো ভাষা আৰু উপভাষাই সেই জাতি আৰু উপজাতিবিলাকৰ একান্ত আগ্ৰহ আৰু সাধনাৰ ফলত আজি হেজাৰ হেজাৰ বছৰে চলি আহিছে। নিজৰ নিজৰ ভাষা উপভাষা মৰি যাওক, সেইটো কোনো জাতি বা উপজাতিয়ে কামনা নকৰে। কোনোবাই বা কোনো ৰাজশক্তিয়ে যদি হেঁচা দি থলুৱা কোনো ভাষা আৰু উপভাষাবোৰ মাৰি পেলাবৰ চেষ্টা কৰে বা সেইবোৰ ভাষা আৰু উপভাষাবোৰৰ বিকাশত বাধা দিয়ে, তেতিয়াই দেশত বিদ্ৰোহ আৰম্ভ হ'ব আৰু দেশৰ সৰ্বাংগীন উন্নতিত বাধাপ্ৰাপ্ত হয়।

আমাৰ একমাত্ৰ সাধনা— সমগ্ৰ অসমৰ উন্নতি কৰা, কাৰণ এই দেশ আমাৰ দেশ, এই দেশখনক সকলো ফালৰপৰা আমি উন্নত, আদৰ্শ আৰু শান্তিপূৰ্ণ দেশত পৰিণত কৰিব লাগিব। আমি এই দেশত আমাৰ পৰিয়ালবৰ্গক লৈ সুখে সন্তোষে বাস কৰিব লাগিব। আমাৰ ভৱিষ্যত বংশধৰসকলেও এই দেশতে অনন্তকাল বাস কৰিব। আমাৰ ভাগ্যক্ৰমে এই আৰ্য্যগোষ্ঠীৰ মানুহবিলাকৰ বাহিৰেও বড়ো, কাৰ্বি, ৰাভা, মিচিং, টিয়া আদি বিভিন্ন জনগোষ্ঠীৰ মানুহ এই দেশত হেজাৰ হেজাৰ বছৰ বাস কৰি আহিছে। আমি হেজাৰ হেজাৰ বছৰ একেলগে মিলিজুলি বাস কৰি অহাৰ ফলত পৰস্পৰে আমাৰ অতি ঘনিষ্ঠ আত্মীয়তাৰ উদ্ভৱ হৈছে। পৰস্পৰে আমি সহায় কৰা কৰি কৈ এই দেশৰ সেৱা কৰিব লাগিব, কাকো আমি অৱহেলা কৰিব নোৱাৰোঁ।

থলুৱা প্ৰত্যেক জনগোষ্ঠীৰ মানুহবিলাকৰ একোটা ভাষা আছে, সেইবোৰ ভাষা দোৱান বুলি উপলুঙা কৰি গ'লে আমাৰ আত্মহত্যা কৰাহে হ'ব আৰু তাৰ দ্বাৰা দেশৰ বিৰাট ক্ষতিহে কৰা হ'ব।

অসম সাহিত্য সভা একমাত্ৰ অৰাজনৈতিক জাতীয় অনুষ্ঠান যি অনুষ্ঠানে ভাষা আৰু সাহিত্যৰ বিকাশত সহায় কৰিব পাৰে, এই দেশৰ বুৰঞ্জী জাতীয় কৃষ্টি সভ্যতা আদিৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰিব পাৰে।

গতিকে আমি সাহিত্য সভাই এই দেশৰ সকলো থলুৱা ভাষাবোৰৰ উন্নতি সাধনৰ চেষ্টা চলাব লাগিব— নিৰ্দিষ্ট সুপৰিকল্পিত আঁচনি হাতত লৈ বিভিন্ন জনগোষ্ঠীয় মানুহবিলাকৰ সহায়ত সমন্বয় আৰু সংহতিৰ বাটেদি বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়বিলাকৰ পাঠ্যক্ৰম আৰু আঁচনিবোৰকো সলনি কৰাব লাগিব— দেশৰ প্ৰয়োজনত। যিকোনো বিষয়তে অসুবিধা নঘটক, আমি সমাধানৰ সূত্ৰ উলিয়াই এই দেশৰ হিত সাধিব লাগিব।

থলুৱা ভাষাবিলাকৰ উন্নতি হ'লে অসমীয়া ভাষাৰ উন্নতিত বাধা পৰিব, এইদৰে ভাবিবৰ থল নাই। নিজৰ নিজৰ ভাষাৰ চৰ্চাৰ উপৰি অসমীয়া ভাষা ৰাজ্যভাষা হিচাপে সকলো জনগোষ্ঠীৰ মানুহে অকপটে গ্ৰহণ কৰিছে আৰু অসমীয়া ভাষাৰ উন্নতিত যথেষ্ট অৰিহণা আগবঢ়াইছে।

থলুৱা মানুহবিলাক কোন কোন? অতীজৰ পৰা অৰ্থাৎ হেজাৰ হেজাৰ বছৰ ধৰি এই দেশত বাস কৰা আৰ্য্য গোষ্ঠীৰ আৰু বড়ো, ৰাভা, কাৰ্বি, মিচিং, টিৱা, আহোম আদি জনগোষ্ঠীৰ মানুহবিলাক নহয়নে? এই কঠিন সত্য কথা অস্বীকাৰ কৰিবৰ সাহ কাৰ বুকুত আছে? এই নিগাজী থলুৱা মানুহবিলাকৰ ভাষা কৃষ্টি আদিৰ সৰ্বাংগীন উন্নতিৰ প্ৰচেষ্টা নকৰি স্বাধীনতাৰ পিছত অসমত আহি আশ্ৰয় লোৱা লাখ লাখ ভগনীয়াবিলাকৰ নাইবা চুবকৈ বা গাৱ জোৱে আহি আমাৰ অস্তিত্ব আৰু স্বাধীনতা বিপন্ন কৰা লাখ লাখ বিদেশী প্ৰব্ৰজনকাৰী মানুহবিলাকৰ, অথবা কেৱল অৰ্থোপাৰ্জনৰ বাবে ভাৰতৰ অন্যান্য প্ৰদেশৰপৰা অহা লাখ লাখ সাধাৰণ শ্ৰেণীৰ আৰু অস্থায়ী বিধৰ মানুহবিলাকৰ ভাষা কৃষ্টি আদিৰ উন্নতিৰ প্ৰচেষ্টা কৰিব? এইবোৰ কথা

গভীৰভাৱে চিন্তা কৰি অসমীয়া মানুহ আৰু অসম চৰকাৰৰ সুদৃঢ় নীতি নির্ধাৰণ কৰিবৰ হ'ল। অনন্তকাল এইদৰে খেলিমেলি অৱস্থা চলিব নোৱাৰে। চিৰদিন অসমৰ অস্তিত্ব বিপন্ন হৈ থাকিব নোৱাৰে, অচিৰতে এইবোৰ বিষয়ৰ সুমীমাংসা হ'ব লাগিব; নহ'লে এই দেশৰ ধ্বংস অনিবার্য্য। আমি এই দেশৰ নিগাজী অধিবাসী, আমি এই দেশ ৰক্ষা কৰিবৰ দৃঢ়পণ কৰিব লাগিব, আমি আমাৰ দেশ ধ্বংস হ'ব দিব নোৱাৰোঁ।

সাহিত্য সভাৰ কাম

অসম সাহিত্য সভাই কি বিচাৰে? অসম সাহিত্য সভাৰ বর্তমান কর্তব্য কি? আমি সকলো কথাই গভীৰভাৱে চিন্তা কৰি চাব লাগিব।

অসম সাহিত্য সভাই চিৰদিনেই আমাৰ সাহিত্যিকসকলক উচ্চমানৰ সাহিত্য ৰচনাৰ প্ৰেৰণা যোগাইছে আৰু চিৰদিনেই সেই প্ৰেৰণা যোগাবৰ চেষ্টা কৰিব। আমাৰ সাহিত্যিকসকলে আমাৰ আগত দাঙি ধৰিব উচ্চ আদর্শ, আমাৰ মাতৃভূমিৰ সেৱাত যোগাব প্ৰেৰণা, কর্মত দিব অশেষ শক্তি, আমাৰ দেশ গঢ়ি তুলিব শান্তিৰ দেশ, শক্তিশালী আৰু মহীয়ান। অসম সাহিত্য সভাই ইয়াৰ বাহিৰে আন কথা ভাবিব নোৱাৰে।

অসমৰ বিপদৰ সময়ত অসম সাহিত্য সভাই চিৰদিনেই মাত মাতি আহিছে। অসম সাহিত্য সভাই কোনো দিনেই এই দিশৰ দায়িত্ব এৰাই যোৱা নাই। আনৰ প্ৰৰোচনাত বা হেঁচাত আমি কোনো দিন মত সলাব নোৱাৰোঁ। আমাৰ নিজ সিদ্ধান্ত মতে নির্ভীক ধীৰভাৱে আমি আগুৱাই যাব লাগিব আমাৰ কামত।

সাহিত্য সভাৰ চিন্তাধাৰা স্থবিৰ নহয়। স্থবিৰ আৰু ৰক্ষণশীল মনোভাব লৈ আজিৰ দিনত কোনো মহৎ কাম হ'ব নোৱাৰে। মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ নিচিনা নতুন নতুন নদী নিজৰাক বুকুত সাৱটি লৈ আমি মহাসমুদ্ৰৰ ফালে গতি ল'ব লাগিব। সাহিত্য সভাক আমি মাৰিবলৈ দিব নোৱাৰোঁ; ই জীয়াই থাকিব অনন্তকাল। ৰক্ষণশীল মনোভাৱবোৰ পৰিত্যাগ কৰিব লাগিব। ৰক্ষণশীল গঠনতন্ত্ৰবোৰকো সংশোধন কৰিব লাগিব জীয়াই থকাৰ প্ৰয়োজনত।

নতুন নতুন কবি-সাহিত্যিকসকল আগুৱাই আহিছে নতুন ভাবধাৰা লৈ আমাৰ দেশ সাহিত্য সম্ভাৰ বৃদ্ধিৰ কাৰণে, আমাৰ দেশক সকলো প্ৰকাৰে সেৱা কৰি উন্নত আৰু মহীয়ান কৰি তুলিবৰ বাবে। আমি তেওঁলোকক জনাইছো মৰম প্ৰীতি, জনাইছো স্বাগতম। সাহিত্য সভাই তেওঁলোকক বাদ দি চলিব নোৱাৰে। সাহিত্য সভা হ'ব নতুন আৰু পুৰণি লিখকৰ মিলন কেন্দ্ৰ। ন-পুৰণি লিখকৰ মিলনৰ ফলত অসমৰ ভাবধাৰা, ঐতিহ্য আৰু কৃষ্টিৰ সর্বাংগীন বিকাশ হ'ব। এয়া আমাৰ অন্তৰৰ আশা।

সাহিত্যৰ সৃষ্টি আৰু বিকাশ অকল ডাঙৰ নগৰতেই হয়নে? গাঁও অঞ্চলবোৰ বাদ দি অসমৰ জন জীৱন, কৃষ্টি সভ্যতা আদি চলিবনে? নচলে। অসমৰ সভ্যতা, অসমৰ ঐতিহ্য, কৃষ্টি বুৰঞ্জী আদি সকলো গাঁও অঞ্চলবোৰৰ প্ৰেৰণাত সৃষ্টি আছে, গাঁওবোৰৰ লগত আমাৰ অন্তৰৰ নিবিড় সম্পর্ক। অসম সাহিত্য সভাই গাঁও অঞ্চলবোৰত সাহিত্যৰ নতুন নতুন বাণী প্ৰচাৰ কৰিব লাগিব। আৰু গাঁৱলীয়া জীৱনৰ সহজ-সৰল জীৱন যাত্ৰাৰ কাহিনী, আশা-আকাংক্ষাৰ কথা, আদর্শ আৰু ত্যাগৰ মহিমাৰ সমস্ত বিশ্বত প্ৰচাৰ কৰিব লাগিব; গাঁও আৰু নগৰৰ মাজত আনিব লাগিব অবিচ্ছেদ্য সম্পর্ক। টংলা, বিহপুৰীয়া, গোৱালপাৰা, লক্ষীমপুৰ, কোকৰাঝাৰ আদি বিশেষকৈ গাঁৱলীয়া মানুহ অধ্যুষিত সক সক নগৰবোৰত অসম সাহিত্য সভাৰ কার্যনির্বাহক সমিতিৰ অধিবেশন, লিখক শিবিৰ, লিখক কর্মশালা, আলোচনা চক্ৰ, স্বর্গীয় নগেন্দ্ৰ নাৰায়ণ শতবার্ষিকী উৎসৱ আদি পাতি গাঁৱলীয়া জনসাধাৰণৰ পৰা অভূতপূর্ব সহাঁৰি আৰু শ্ৰদ্ধা-ভক্তি অসম সাহিত্য সভাই পাইছে। আমি এইদৰে গাঁও আৰু নগৰৰ ব্যৱধান কমাই আনিব লাগিব— গাঁৱৰ নতুন নতুন লেখক-লেখিকাসকলেও অসমৰ সাহিত্য সমাজত স্থান পাব লাগিব।

অসমৰ সকলো উপজাতি-জনজাতিকে সাৱটি লৈ বৃহৎ অসমীয়া জাতি গঠন কৰিব লাগিব। বেলেগ বেলেগ দৃষ্টিভংগী ভিন ভিন কর্মধাৰা লৈ আমি জীয়াই থাকিব নোৱাৰো। বেলেগ বেলেগ ভাষা আৰু উপভাষাৰ মাজত সংহতি আৰু সমন্বয় স্থাপন কৰিব লাগিব আৰু এই ভাবেৰে কৰিব লাগিব অসমীয়া সাহিত্যৰ সৃষ্টি, যি সাহিত্যক অসমৰ সকলো জনগোষ্ঠীৰ লোকসকলেও আপোন বুলি বুকুত সাৱটি ল'ব।

উচ্চমান বিশিষ্ট আৰু সংহতিৰ ক্ষেত্ৰত অবিহণা যোগাব পৰা কিতাপৰ কাৰণে অসম সাহিত্য সভাই 'বিষ্ণুৰাভা বঁটা'ৰ সৃষ্টি

কৰিছে। ইয়াৰ বাবে অসম সাহিত্য সভাক বহুতো বিশিষ্ট ব্যক্তিয়ে ওলগ জনাইছে। অসমৰ সকলো মানুহে বিভিন্ন জাতি আৰু জনজাতিৰ মাজত সমন্বয় বিচাৰে।

কলাগুৰু বিষ্ণুৰাভা আছিল চিৰ বিদ্রোহী; তেওঁ বাহুত আছিল বল, চকুত আছিল অগণি। তেওঁৰ বিদ্রোহ আছিল কুসংস্কাৰ আৰু ৰক্ষণশীলতাৰ বিৰুদ্ধে, অন্ধ আইন-কানুনৰ বিৰুদ্ধে, নিয়মানুবর্তিতাৰ নামত কঠোৰ নিপীড়নৰ বিৰুদ্ধে, আকাংক্ষা আছিল বাধাহীন আৰু প্রাণ-প্রাচুর্যোৰে উপচি পৰা এখন শান্তিপূর্ণ অপূর্ব সৌন্দর্যেৰে ভৰা আনন্দলোক স্থাপন কৰাৰ। তেওঁৰ সাধনা আছিল অসমৰ বিভিন্ন সমাজ, বিভিন্ন গোষ্ঠী ভাষা-ভাষীৰ মাজত একতা অনা সকলোকে একতাৰ ডোলেৰে বান্ধি এখন উন্নত সমাজ আৰু জাতি গঠন কৰা— তেওঁবিলাকৰ মর্যাদা ঐতিহ্য আৰু কৃষ্টিৰ বিকাশ সাধন কৰা।

এই মহাপুৰুষৰ নামত আমি যি বঁটাৰ সৃষ্টি কৰিছো, আমি আশা কৰোঁ আমাৰ সাহিত্যিকসকলে সেই আদর্শ গ্রহণ কৰি অসমীয়া জাতিক সংহতি আৰু সমন্বয়ৰ পথত আগুৱাই লৈ গৈ মহান অসমীয়া জাতি গঠনত সহায় কৰিব।

অসমৰ বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ জীৱন-যাপনৰ প্রণালী, তেওঁলোকৰ সমাজ ব্যৱস্থা, ৰাজনীতি, তেওঁলোকৰ আশা-আকাংক্ষা আৰু ভৱিষ্যত কর্মপ্রণালী ইত্যাদিৰ লগত আমি গভীৰভাৱে পৰিচিতনে? তেওঁলোকৰ ভাষা-ভাবধাৰা, আশা-আকাংক্ষাৰ প্রতি আমি সম্মান বা সহানুভূতি জনাইছোনে? এই বিষয়ে আমাৰ কবি সাহিত্যিকসকলৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰো জনগোষ্ঠী অধ্যুষিত অঞ্চলবিলাকত সাহিত্যিকসকলৰ শুভেচ্ছা দল পঠিয়াই যেন জনগোষ্ঠী লোক সকলৰ বিষয়ে গভীৰভাৱে অধ্যয়ন কৰি তেওঁলোকৰ বিষয়ে বিভিন্ন দিশৰ দৃষ্টিভংগীৰে লিখা ৰচনাৰাজি যাতে প্রকাশ কৰিবৰ সুযোগ পায়। স্বর্গীয় ৰজনী কান্ত বৰদলৈৰ 'মিৰিজীয়ৰী আৰু ড° বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ 'ঈয়াৰুইংগম', 'মৃত্যুঞ্জয়'ৰ নিচিনা কালজয়ী আৰু জনপ্রিয় উপন্যাস আৰু প্রবন্ধ কবিতা ওলাব বুলি মই আশা ৰাখো। জনগোষ্ঠীৰ লোকসকলৰ লগত আমাৰ হ'ব লাগিব অবিচ্ছেদ্য সম্বন্ধ। অসমীয়া সাহিত্যৰ উন্নতি সাধিব লাগিলে নতুন নতুন লিখক-লিখিকাক সাহিত্য-সাধনাত প্রেৰণা দিব লাগিব। পুৰণি লিখকসকলৰ বহুতেই পুৰণি দৃষ্টিভংগী এৰিব লাগিব, যুগোপযোগী নতুন নতুন ভাবধাৰাৰ প্রতি সহাঁৰি জনাই।

জনজাতি ভাষা অজনজাতীয়ক শিকাবৰ ব্যৱস্থা আমি কৰিছোনে? তেওঁলোকৰ ভাষা শিকি তেওঁলোকৰ প্রতি সম্মান দেখুওৱা, তেওঁলোকৰ ভাবধাৰাৰ লগত গভীৰভাৱে পৰিচিত হোৱা আমাৰ উচিত নহ'বনে? অসমৰ চৰকাৰে এই বিষয়ত কিমানদূৰ আগবাঢ়িছে? অসম সাহিত্য সভাই অতি সীমিত পুঁজিৰে কিমানদূৰ আগবাঢ়ি পাৰিব?

অসম সাহিত্য সভাৰ উচিত কাম হ'ব অসমৰ প্রত্যেকটো জনজাতীয় ভাষাৰ বিকাশত সহায় কৰা। আমি এই বিষয়ত গভীৰভাৱে চিন্তা কৰি দৃঢ় পদক্ষেপে আগুৱাব লাগিব প্রয়োজন হ'লে উচ্চ বিদ্যালয়, মহাবিদ্যালয় আদিৰ পাঠ্যক্রমৰ সালসলনি কৰি, আবেগিক ঐক্যসাধন কৰিব লাগিলে আমি বহু কাম কৰিব লাগিব গঠনমূলক কামৰ মাজেদি আৰু সাহিত্য সংস্কৃতিৰ ঐতিহ্যৰ বাটেদি।

অসম সাহিত্য সভা মেলামুখী হৈছে আৰু সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনত অনাৱশ্যক লাখ লাখ মানুহ গৈ উপস্থিত হয় বুলি বহুতে অভিযোগ কৰে। কিন্তু এই অভিযোগ অতি মূল্যহীন। অসম সাহিত্য সভা এটা সার্বজনীন মহৎ অনুষ্ঠান। এই অনুষ্ঠানে অসমৰ ভাষা, কৃষ্টি, বুৰঞ্জী, ঐতিহ্যত একতা আনি এই দেশ মহান দেশ এখনত পৰিণত কৰিবৰ চেষ্টা কৰি আহিছে। আজি ইমান বছৰে অসম সাহিত্য সভাই দেশৰ উন্নয়নত যথেষ্টভাৱে অৰিহণা যোগাই আহিছে। দেশৰ বিপদৰ সময়ত অসম সাহিত্য সভাই মাত মাতিছে। বিৰুদ্ধ সমালোচকসকলে যিয়েই নহওক, সমগ্র অসমবাসীৰ মনত অসম সাহিত্য সভা এটা অতি পবিত্র অনুষ্ঠান বুলি পৰিগণিত হৈছে আৰু সেয়েহে অসম সাহিত্য সভাৰ অধিবেশনত অসমৰ সকলো প্রান্তৰ পৰা লাখ লাখ মানুহ আহে— সাহিত্য সভাৰ পৰা দেশৰ সেৱা আৰু উন্নয়নত প্রেৰণা পাবলৈ। প্রকৃততে সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনবোৰ অসমীয়া জাতিৰ মহামিলন কেন্দ্র আৰু পবিত্র তীর্থস্থানত পৰিণত হৈছে। ইয়াৰ ফলত দেশখনৰ ভিতৰত দেশৰ সকলো অধিবাসীসকলে গোষ্ঠী আৰু সকলো সম্প্রদায় একতাৰ দোলেৰে বান্ধ খাইছে। অসমত ইয়াতকৈ ডাঙৰ মহাতীর্থ কোন অনুষ্ঠানে সৃষ্টি কৰিব পাৰিছে? অৱশ্যে এইটো কথা সঁচা যে দেশবাসীৰ সকলো আশা-আকাংক্ষা অসম সাহিত্য সভাই এতিয়াও পূৰাব পৰা নাই। কিন্তু এইটো নিশ্চিত যে অসম সাহিত্য সভাই এই দেশৰ উন্নতি কৰিম বুলিয়েই দৃঢ় পদক্ষেপে আগুৱাই যাব

চেষ্টা কৰি আহিছে। অসমত লিখক আছে, প্ৰকাশকৰ সংখ্যাও আছে, অৱশ্যে সেই সংখ্যা নিচেই তাকৰ। লিখকে কিতাপ লিখিব কেনেকৈ, যদি প্ৰকাশক নেপায়? প্ৰকাশকে হেজাৰ হেজাৰ টকা খৰচ কৰি কিতাপ ছপাই উলিয়াব কিয়, যদি কিনোতা অৰ্থাৎ পাঠক শ্ৰেণী নাপায়? অসমীয়া সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰত প্ৰধান বাধা পাঠকৰ অভাৱৰ বাবেহে। আমি পাঠক সমাজ গঢ়ি তুলিব লাগিব। অসমীয়া সাহিত্যৰ বৃহৎ বজাৰ তৈয়াৰ কৰিব লাগিব। তাৰ অবিহনে সাহিত্যিক আৰু প্ৰকাশক কোনেও জীয়াই থাকিব নোৱাৰে।

আমাৰ দেশত গাঁৱে গাঁৱে পুথিভঁৰালৰ আন্দোলন মৰি গ'ল চৰকাৰৰ উপযুক্ত সহায়ৰ অভাৱত; আমাৰ প্ৰচাৰকৰ অভাৱত। অসম সাহিত্য সভাৰ লাখ লাখ মানুহে অসম সাহিত্য সভালৈ আহে অসম সাহিত্য সভাক প্ৰাণৰ অনুষ্ঠান বুলি ভাবি; সাহিত্য সভাৰ পৰা প্ৰেৰণা লাভ কৰিব পাৰিব বুলি আৰু আহে সাহিত্যিকসকলক নিজৰ চকুৰে চাই সম্বৰ্ধনা জনোৱাৰ আৰু সেইসকল সাহিত্যিকৰ কিতাপ কিনাৰ মানসেৰে। বহুক্ষেত্ৰত লাখ লাখ টকাৰ কিতাপ বিক্ৰি হৈছে। এইদৰে পাঠক শ্ৰেণীৰ সৃষ্টি হৈছে, গতিকে এই ক্ষেত্ৰত দেশৰ মংগল হোৱা নাই বুলি কোনোবাই যদি কয়, তেন্তে অত্যন্ত ভুল কোৱা হ'ব। যদি কেতিয়াবা ভুলবশতঃ অসম সাহিত্য সভাই দেশৰ দ্ৰোহ আচৰণ কৰে নাইবা কিবা কাৰণত অসমৰ জনসাধাৰণে অসম সাহিত্য সভাৰ অধিৱেশনবোৰত উপস্থিত হোৱাৰ পৰা বিৰত থাকে, তেতিয়াই হ'ব অসম সাহিত্য সভাৰ মৃত্যু আৰু অসম দেশৰ কাৰণেও তেতিয়া ঘোৰ অমানিশা নামি আহিব। অসম সাহিত্য সভাই নাইবা অসমৰ জনসাধাৰণে এনেকুৱা ভুল কেতিয়াও কৰিব নোৱাৰে। অসম সাহিত্য সভাই এই দেশৰ অধিবাসীসকলৰ ভাষা, সাহিত্য, বুৰঞ্জী, সংস্কৃতি আৰু ঐক্যৰ বাহিৰে কোনো কথা চিন্তা কৰা নাই আৰু এই দেশৰ মংগলৰ কাৰণে পাৰ্য্যমানে চেষ্টা কৰি আহিছে। যিকোনো জাতীয় চৰকাৰে এনেকুৱা মহান অনুষ্ঠানত আৰ্থিক অনুদান আৰু অন্যান্য বিষয়ে সহায় কৰা উচিত। কিন্তু দুখৰ বিষয় এই যে যোৱা দুবছৰে আমি প্ৰতি পদে অসম চৰকাৰৰ পৰা নানা প্ৰকাৰে বিদ্ৰূপ মনোভাৱ পাই আহিছো। অসম চৰকাৰ আমাৰ জাতীয় চৰকাৰ, বিদেশী চৰকাৰ নহয়। গতিকে আমাৰ জাতীয় অসম চৰকাৰে অসম সাহিত্য সভাৰ প্ৰতি বিদ্ৰূপ মনোভাৱ পৰিবৰ্তন কৰি সকলো বিষয়তে সহায় কৰিবলৈ আগবাঢ়ি অহাটো উচিত হ'ব। এইটো কথা সঁচা যে আমাৰ জাতীয় চৰকাৰে অসম সাহিত্য সভাক সহায় নকৰিলেও অসম সাহিত্য সভাক আমি দেশবাসীয়ে জীয়াই ৰাখিব লাগিব, আমাৰ জাতিক জীয়াই ৰখাৰ স্বাৰ্থত। আজি অসমৰ জনসাধাৰণক মই অতি বিনীতভাৱে এই কথা নিবেদন কৰিব বিচাৰো।

অসম দেশৰ ভাষা, সাহিত্য, কৃষ্টি আৰু জাতীয় মংগলৰ কাৰণেই অসম সাহিত্য সভা জীয়াই থাকিব লাগিব আৰু এই দেশৰ মানুহৰো প্ৰয়োজন হ'ব আৰ্থিক অনুদান, সকলো প্ৰকাৰৰ সহায় আৰু সহযোগ ইত্যাদি দি অসম সাহিত্য সভাক জীয়াই ৰখাৰ এই কথাটো আমাৰ দেশবাসীয়ে মনত ৰাখিলে অত্যন্ত সুখী হম।

বিষ্ণুপ্ৰসাদ ৰাভাই জনগণৰ মাজত থাকি জনগণৰ আশা-আকাংক্ষাক জনগণৰ ভাষাৰে ৰূপ দিবলৈ বিচাৰিছিল। আজিকালিৰ বহু লিখকে ড্ৰইং ৰুমত বহি জনতাৰ হৃদকম্পন নুবুজাকৈ জনতাৰ পৰা যোজন দূৰৈত থাকি তেওঁলোকৰ দুখ বেদনা ৰূপায়ন কৰিবলৈ যাওঁতে আচলতে সত্যৰূপত প্ৰকাশ কৰিবলৈ সমৰ্থ নহয়। জনগণৰ দুখ বেদনাক সাহিত্যৰ জৰিয়তে ৰূপ দিব পাৰি।

কিছুসংখ্যক অসমীয়া লেখকৰ কাৰণে অৱশ্যে এইদৰে সাহিত্যৰ সাধনাত ব্ৰতী হোৱাতো অসুবিধাজনক কাম হয় যদিও প্ৰকৃত সাহিত্য-সাধকসকলে তেনে অসুবিধাক গনিতা কৰিব নালাগিব।

অসমীয়া সাহিত্যৰ জৰিয়তে অসমৰ সকলো শ্ৰেণীৰ জনমনক ৰূপায়িত কৰিব পৰিব লাগিব। কিন্তু এনে প্ৰচেষ্টা অসমীয়া সাহিত্যিত খুব বেছি নহয়। অসমৰ বড়ো সমাজক লৈ এখনো উপন্যাস ৰচিত হৈছেনে? মিছিং সমাজক লৈ বহু পূৰ্বে স্বৰ্গীয় ৰজনীকান্ত ৰৰদলৈয়ে, নগা সমাজক লৈ ডাঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই, অৰুণাচলৰ জন জীৱনক লৈ শ্ৰীলুম্বেৰ দায়ে আৰু কাৰবি সমাজক লৈ অলপতে প্ৰকাশ পোৱা শ্ৰীৰংবং তেৰঙৰ উপন্যাসকেইখনৰ বাহিৰে আৰু কিমানৰ গ্ৰন্থ প্ৰকাশ পালে? প্ৰতিখন সমাজ বা গোষ্ঠীৰ লোকৰ জীৱনক অসমীয়া সাহিত্যৰ জৰিয়তে ৰূপায়িত কৰিব নোৱাৰিলে সেই সেই সমাজৰ লোকৰ অসমীয়া ভাষাৰ প্ৰতি আদৰ বাঢ়িবনে? সমন্বয় আৰু সংহতিৰ অৰ্থে এনে ধৰণৰ প্ৰচেষ্টা অতি প্ৰয়োজনীয়। বিষ্ণু ৰাভা পুৰস্কাৰ এই আশা ৰাখিয়ে প্ৰদানৰ ব্যৱস্থা কৰা হৈছে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত থকা সাহিত্যৰ সমলবোৰকো বুটলি

আনি সহজ সবল ভাষাবে আকৌ তেওঁলোককে প্রদান কবাব দিশতো কোনো কাম হোবা নাই। অসম গাঁবে-ভূঞে সমাজব বিভিন্ন স্তবে স্তবে যুগ যুগ ধবি প্রচলিত হৈ অহা গীত-মাত-প্রবাদ আদিকো শাখা সভাবিলাকব জবিয়তে থুপাই আনি সম্পাদিত আৰু সংকলিত কবি ল'ব পবা যায়। অসমব চাহ বনুবা সম্প্রদায়, চব অঞ্চল লোকব মাজতো এনে ধবণব সাহিত্যই জনপ্রিয়তা লাভ কবিব পাবিব।

সাংস্কৃতিক সমন্বয়

বাজনীতিব অস্ত্রবলব দ্বাবা কোনো কালে কোনোবে জনচিত্তক জয় কবিব পবা নাই। ভাবতবর্ষব বুবঞ্জীব পাত লুটিয়ালে আমি দেখো সাংস্কৃতিক সমন্বয়েহে সমগ্র ভাবতবর্ষক এক কবি বাখিছিল। সেই একে দৃষ্টিবে এটা মহান অসমীয়া জাতি গঢ়ি তুলিবলৈ হ'লে সাংস্কৃতিক সমন্ববেহে ই সম্ভবপব হৈ উঠিব। বাজনৈতিক পবাজয়ব গ্লানিক পবাভূত কবি বাখিব পাবে, কিন্তু সাংস্কৃতিক পবাজয়ে জাতি এটাক নিঃশেষ কবি পেলায়। নিঃশেষ হ'বলৈ কোনেও ইচ্ছা নকবে। কিন্তু সমন্বয় সকলোবে বাঞ্ছা কবে। আর্য্যসকলে অনার্য্যসকলব আচাব ব্যবহাব, বীতি-নীতি, পূজা-পার্বণ সর্বপ্রকাবে গ্রহণ কবাব গুণেহে আমাব সর্বশ্রেণীব লোকব মাজত সংস্কৃতিব জবিয়তে একাত্মকতা আহিল। সমন্বয়ব প্রক্রিয়া এফালব পবা আবম্ভ নহয়। দুয়ো পিনব পবাহে হয়। গতিকে এই দিশত অসমব সংস্কৃতি সেবীসকলে চিন্তা কবিব লাগে।

অসমব সাহিত্য সভাই কবিবলৈ লোবা কামবোবব বহু অংশ প্রত্যেক বছবেই বাকী বৈ যায়। সেইদবে যোবা বছববো বহুতো কাম অসম্পূর্ণ হৈ ব'ল। যোবা বছবব আধবব্বা কামবোব নতুন বছবটোত কবিব পবা হ'ব বুলি আশা কবিব পাবি।

বর্তমানে অসম সাহিত্য সভাব কামব পবিসব যথেষ্ট পবিমাণে বৃদ্ধি পাইছে। অকল এজন নির্বাচিত সম্পাদকব দ্বাবা সূচাৰুৰূপে কাম সম্পাদন কবা টান হৈ পবে। বিভিন্ন বিষয়ত একোজনকৈ কর্মসচিব নিযুক্ত কবাবো প্রয়োজন হৈ পবিছে নতুবা বহু কাম এনেয়েই পবি থকাব সম্ভাবনা।

শিশুকোষ বচনাব কাম সম্প্রতি কিছু অগ্রগতি লাভ কবিছে। নতুন অসমীয়া অভিধান এখন বচনাব পবিকল্পনা চলিছে। এই কামো অতি কঠিন কাম। আশা কবোঁ এই বিষয়ে এই বছব কিছু আগবাঢ়িব পবা যাব। অন্যান্য মূল্যবান গ্রন্থ বচনাব ভাব যোৱাবাব যিবোব লোবা হৈছিল, সেইবোবো বহু পবিমাণে আগুৱাব বুলি আশা কবিব পাবি। দুখব কথা যে যোৱা বছব দেশত সুস্থিব চবকাব নথকাব হেতুকে কোনো কথাকে চবকাববব লগত আলোচনা কবি কামত আগুৱাব পবা নগ'ল।

উদ্দেশ্যধর্মী সাহিত্য

আমাব দেশব সাহিত্য উদ্দেশ্যধর্মী হোবা প্রয়োজন। যি যি বিষয়ত আমাব যেতিয়া প্রয়োজন হয়, সেইবোব বিষয়তে আমাব সাহিত্য বচনা হ'ব লাগিব। সম্প্রতি আমাব আটাইতকৈ প্রয়োজন হৈছে অসমব বিভিন্ন গোষ্ঠী আৰু সম্প্রদায়ব ভিতবত একতাব সৃষ্টি কবাব। সকলো জাতি, সম্প্রদায়, গোষ্ঠী মিলি এই দেশব উন্নতি বিধান কবা। দেশব বাবে আমি বহু স্বার্থ ত্যাগ কবিব লাগিব। অতীতব শাসন প্রণালী, সমাজ ব্যবস্থা আদি বুবঞ্জীমূলক তথ্যবোববব যথেষ্ট গবেষণা হ'ব লাগিব। এই গবেষণামূলক বচনাবোব এনেদবে লিখিত হ'ব লাগিব যাতে কাবো মনত সন্দেহ বা বিদ্বেষ ভাবব সৃষ্টি নহয়। পুবণি কিছুমান বুবঞ্জীবিদে এনে ভুল কেতবোব কবি গৈছে যাব ফলত কছাৰী জাতিয়ে এতিয়াও বিবক্তি প্রকাশ কবে। সকলো গবেষণামূলক বচনা হ'ব লাগিব এইদেশব স্বার্থব বাবেই।

আমাব সকলো সাহিত্য, গল্প উপন্যাস, কবিতা প্রবন্ধ আদি এনেদবে বচিত হ'ব লাগিব, যাতে এই বচনাই দেশব সমাজক, বিশেষকৈ নকৈ উঠি অহা ডেকা-গাভৰুক দেশ সেবাব বাবে উদ্বুদ্ধ কবি তোলে আৰু সৎকর্মব বাবে প্রেবণা দিয়ে। অন্যান্য দেশব দেশব লোকসকলব মনো আমাব সাহিত্যই আকর্ষিত কবি জয় কবিব লাগিব।

অসমত এতিয়াও যথেষ্ট পবিমাণে শিশু-সাহিত্য বচনা হোবা নাই। এইটো বৰ দুখব কথা। উপযুক্ত শিশু সাহিত্য বচনা নোহোবা হেতুকে শিশুসকলব হাতত উপযুক্ত শিশু সাহিত্য তুলি দিব নোৱাবো। ল'বা-ছোৱালীবিলাকব মনত নিষ্পাপ আনন্দ দিবলৈ বিচিত্র শিশুগল্প, জ্ঞান বিজ্ঞানব কথা, আমাব অতীজব মহাপুৰুষসকলব কথা, অতীত বুবঞ্জীব কাহিনী আদি কিতাপব অভাবব কাবণে শিশুবিলাকব মন উন্নত আৰু সিহঁতক চবিত্রবান কবি তুলিবলৈ আমি যথেষ্ট অসুবিধা অনুভব কবোঁ। শিশু

সাহিত্য ৰচনা কৰা অতি টান কথা। আমাৰ অভিজ্ঞ লিখকসকলে শিশু সাহিত্য ৰচনাত মন দিলে দেশৰ যথার্থতে মংগল কৰা হ'ব। এই বিষয়ে শিশু মাহেকীয়া আলোচনী ইত্যাদি চলোৱাৰো একান্ত প্ৰয়োজন।

অসমৰ মহিলাসকলৰ বিষয়েও সেই একে কথাকে ক'ব পাৰি মহিলাসকলৰ শিক্ষাৰ কাৰণে উপযুক্ত আলোচনীৰ অভাৱৰ উপৰি মহিলাসকলৰ সর্বাংগীন উন্নতিৰ কাৰণে নানা বিষয়ত যথেষ্ট পৰিমাণে কিতাপ ৰচনা হৈছে বুলি ক'ব নোৱাৰি। মহিলাসকলৰ কলা-শিল্প, শিশুপালন, গৃহ পৰিচালনাৰ উপদেশমূলক ইত্যাদি ইত্যাদি বিষয়ৰ কিতাপৰ প্ৰয়োজন অতি বেছি। আমাৰ মহিলা সাহিত্যিকসকলে এই বিষয়ৰ মন দিব নোৱাৰে? আশা কৰোঁ তেওঁলোকে এইবোৰ বিষয় গভীৰভাৱে চিন্তা কৰি চাব।

অসমত আমাৰ নিজৰ ভাষা, কৃষ্টি, ঐতিহ্য আছে। সেইবোৰ আমাৰ প্ৰাণৰ একান্ত আদৰণীয়; আৰু সাধনাৰ ধন। আমাৰ এইবোৰ সৃষ্টি আৰু ঐতিহ্য আন আন দেশতকৈ সুকীয়া। আন দেশৰ কৃষ্টি ভাষা সাহিত্যই আমাক আকর্ষিত কৰিব নোৱাৰে। আমাৰ সাহিত্যত, গল্প উপন্যাস আৰু সকলো বিষয়ৰ ৰচনাত আমাৰ দেশৰ বৈশিষ্ট্য প্ৰকাশ পোৱাতো উচিত, তেহে জগতে আমাৰ বৈশিষ্ট্যৰ কথা জানিব আৰু অন্যান্যসকলে দেশৰ মানুহৰে অন্তৰ জয় কৰিব পৰা হ'ব। আমাৰ উদাৰ দৃষ্টিভংগী, আমাৰ মৰম-চেনেহ প্ৰীতিৰে আমি সকলো দেশৰ অন্তৰ জয় কৰিব লাগিব। অশ্লীল সাহিত্য ৰচনা কৰি আমাৰ সাহিত্যিকসকলে যেন আমাৰ সাহিত্যৰ মানদণ্ড লঘু নকৰে আৰু দেশবাসীৰ মন বিকৃত নকৰে।

আমাৰ বহুতো বিষয়ত বহু কিতাপৰ অভাৱ আছে। সেইবোৰ লিখি উলিয়াওঁতে বহু বছৰ পলম হোৱাৰ সম্ভাৱনা। অসম বুৰঞ্জীও এতিয়াও সম্পূর্ণ নহয়, এতিয়ালৈকে যিমানবোৰ বুৰঞ্জী ওলাইছে তাত অসমৰ সকলো সম্প্রদায়ৰ যেনে কোঁচ, কছাৰী, ৰাভা, কাৰবি, মিচিং, চুতীয়া ইত্যাদি জাতিৰ বিস্তৃত আলোচনা মুঠেই হোৱা নাই। অতি দুখৰ কথা যে প্ৰাচীন কালত বড়ো কছাৰী জাতিক কিৰাট, অসুৰ দৈত্য, অসভ্য ইত্যাদি বুলি অভিহিত কৰিছিল। বড়ো কছাৰী বা অন্যান্য জনগোষ্ঠীৰ বিষয়ে কোনো বুৰঞ্জী ৰচনাৰ চেষ্টা কোনোবাই কৰিছেনে? অসমৰ দুয়োখন বিশ্ববিদ্যালয়ে এই বিষয়ে মন কাণ দিয়া নাই। এনেকি অসমৰ দুয়োখন বিশ্ববিদ্যালয় স্নাতক আৰু স্নাতকোত্তৰ মহলাত ইতিহাসত অসম বুৰঞ্জী পঢ়োৱাৰ কোনো ব্যৱস্থাই কৰা নাই। নিজৰ দেশৰ বুৰঞ্জী নপঢ়াই পৃথিৱীৰ সমস্ত দেশৰ বুৰঞ্জী পঢ়িলে জানো কিবা লাভ হ'ব? এইদৰে সকলো জনগোষ্ঠীকে অৱহেলাৰ চকুৰে চাই অসমত একতা আনি অসমৰ সর্বাংগীন উন্নতি কৰিব পাৰিবনে? নিশ্চয় নোৱাৰে।

অসমত গৱেষণামূলক কাম কৰিব লগা বহুত আছে, যিবোৰ বিষয়ে গৱেষণাৰ বিশেষ প্ৰয়োজন হৈ পৰিছে। অসমৰ অতীত কালৰ শাসন আৰু সমাজ প্ৰণালী আৰু অসমৰ প্ৰাচীন কীর্তিৰ বিষয়ে আমি সর্বসাধাৰণে জানিব বিচাৰিলেও আমাৰ জানিবৰ উপায় নাই। চৰকাৰে যদি যথেষ্ট পৰিমাণে অনুদান আগনবঢ়ায় তেনেহ'লে আমি কোনো কামত আগবাঢ়ি যাব নোৱাৰোঁ।

অনুবাদ সাহিত্য

এখন দেশত মৌলিক ৰচনাৰ যিমান প্ৰয়োজন আছে, সিমানেই প্ৰয়োজন আছে অনুবাদ সাহিত্যৰো। আমাৰ প্ৰাচীনকালৰ বেদ, বেদাংগ পুৰাণ, কাব্য, জ্যোতিষ ইত্যাদি বহু বিষয়ৰ মূল্যবান কিতাপবোৰ এতিয়া আমাৰ ভাষাত অনুবাদ কৰাৰ প্ৰয়োজন আছে। অতীতৰ লগতো আমাৰ গভীৰ সম্পর্ক থাকিব লাগিব। অতীতক বাদ দি আমি কোনোমতে চলিব নোৱাৰো। অতীত আমাৰ পূর্বপুৰুষ, অতীতৰ ওপৰত ভিত্তি কৰিহে আমি আমাৰ বর্তমান আৰু ভবিষ্যত ৰচনা কৰিব লাগিব।

পৃথিৱীৰ অন্যান্য নানা ভাষাৰ দেশৰ পৰাও আমি জ্ঞান-বিজ্ঞান, গল্প, কাব্য, উপন্যাস ইত্যাদি মূল্যবান কিতাপবোৰ আমাৰ ভাষাত অনুবাদ কৰিব লাগিব। পৃথিৱীৰ সকলো দেশৰ সকলো জাতিৰ আশা-আকাংক্ষা, হৃদস্পন্দনৰ লগত আমি ঘনিষ্ঠভাৱে পৰিচিত হ'ব লাগিব। একষাৰ কথাৰে ক'বলৈ গ'লে সমগ্ৰ পৃথিৱীৰ পোহৰ আমাৰ ঘৰতো আহি পৰিব লাগিব। নহ'লে আমি এটা অতি সবল জাতিত পৰিণত হ'ব নোৱাৰো।

আমাৰ মূল্যবান কিতাপবোৰকো নানা ভাষাত অনুবাদ কৰি প্ৰচাৰ কৰাৰ এটা ব্যৱস্থা কৰিব লাগিব। তেনেকুৱা ব্যৱস্থা নকৰালৈকে আমি আমাৰ ভাবধাৰা, আশা-আকাংক্ষাৰ কথা সমস্ত বিশ্বৰ আগত কেনেকৈ প্ৰচাৰ কৰিম? সমগ্ৰ বিশ্ববাসীৰ মন আমাৰ প্ৰতি আকর্ষিত কৰিম কেনেকৈ? আমাৰ প্ৰতি মৰম-চেনেহ শ্ৰদ্ধা আহিব কেনেকৈ? এইবোৰ কাৰণতেই আমাৰ সাহিত্যিকসকলে অতি উচ্চমানৰ সাহিত্য ৰচনা কৰিব লাগে যাতে বিশ্বৰ সকলো জাতিৰ মৰম, শ্ৰদ্ধা, আকর্ষণ কৰিব পাৰি।

অসম সেৱা আয়োগ

আজিৰ পৰা ৬/৭ মাহ পূৰ্বে অসমৰ বিদ্যুৎ বোৰ্ডে কিছুমান কৰ্মী নিযুক্ত কৰিবৰ বাবে প্ৰাৰ্থী বিচাৰি বিজ্ঞাপন দিছিল আৰু তাৰ বাবে প্ৰাৰ্থী নিৰ্বাচন প্ৰতিযোগিতা পৰীক্ষাত কিছুমান বিষয়ত অসমীয়া ভাষাত পৰীক্ষা লোৱাৰো ব্যৱস্থা কৰিব বিচাৰিছিল। তেতিয়া অসমত ৰাষ্ট্ৰপতিৰ শাসন চলিছিল। ৰাষ্ট্ৰপতি পৰামৰ্শদাতাসকলে এই নিযুক্তিৰ বাবে প্ৰতিযোগিতাৰ প্ৰাৰ্থী বিচাৰি দিয়া বিজ্ঞাপন আৰু এই পৰীক্ষাৰ দ্বাৰা নিযুক্তিৰ ব্যৱস্থা বন্ধ কৰি দিলে। অসমীয়া ভাষাত পৰীক্ষা লোৱাৰ ব্যৱস্থা তেওঁলোকে সহ্য কৰিব নোৱাৰিলে। কিন্তু ভাৰতৰ অন্যান্য প্ৰদেশত নিজ নিজ ৰাজ্য ভাষাৰ জৰিয়তে পৰীক্ষা লৈ যোগ্য প্ৰাৰ্থীক নিযুক্ত দিয়া নাইনে? অসমত কিহৰ বাবে এই ব্যতিক্ৰম?

অসম লোক সেৱা আয়োগে (Assam Public Service Commission) অসম চৰকাৰৰ অধীনত কৰ্মচাৰী নিযুক্তিৰ বাবে অসমীয়া ভাষাত পৰীক্ষা লোৱাৰ কোনো ব্যৱস্থা এতিয়ালৈকে কৰা নাই। অসম সেৱা আয়োগে বেছিভাগ প্ৰতিযোগিতামূলক পৰীক্ষা অসমীয়া ভাষাতে ল'ব পাৰিলেহেঁতেন। ভাৰতীয় সেৱা আয়োগে (Union Public Service Commission)দেশৰ উচ্চতম চাকৰি (যেনে— I.A.S. I.P.S., I.E.S. ইত্যাদি।) নিযুক্তি প্ৰতিযোগিতামূলক পৰীক্ষাৰ কিছুমান বিষয় প্ৰত্যেক ৰাজ্যভাষাৰ মাধ্যমত পৰীক্ষা লোৱাৰো ব্যৱস্থা কৰিছে। ভাৰতীয় সেৱা আয়োগে যদি প্ৰত্যেক ৰাজ্যৰ ভাষাতো পৰীক্ষা লৈ উপযুক্ত প্ৰাৰ্থী নিয়োগৰ ব্যৱস্থা কৰিব পাৰে, অসম সেৱা আয়োগে অসমত উপযুক্ত প্ৰাৰ্থী নিৰ্বাচনৰ পৰীক্ষা অসমীয়া ভাষাত পাতিব নোৱাৰে কিয়? অসম সেৱা আয়োগ জানো বিদেশী অনুষ্ঠান আৰু অসম চৰকাৰ জানো বিদেশী চৰকাৰ?

বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বিলাকৰ পাঠ্যক্ৰম

অসমৰ মহাবিদ্যালয়বিলাকত ১৯৭২ চনৰ পৰা ১৯৮২ চনলৈকে স্নাতক মহলা পৰ্যন্ত অসমীয়া ভাষাৰ মাধ্যমত শিক্ষাদানৰ ব্যৱস্থা চলে। লগে লগে চলে ইংৰাজী ভাষাৰ মাধ্যমতো। অসমীয়া ভাষাৰ মাধ্যমত যথাৰ্থৰূপে শিক্ষাদান চলিছিল বুলি ক'ব নোৱাৰি। প্ৰকৃততে চলিছিল ইংৰাজী ভাষাৰ মাধ্যমতহে। ১৯৮২ চনতো এই ব্যৱস্থাৰ কোনো পৰিবৰ্তন নহ'ল। বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ে আগৰ ব্যৱস্থাকে বাহাল ৰাখিলে আৰু প্ৰকাৰান্তৰে ইংৰাজী মাধ্যমকে অগ্ৰাধিকাৰ দিলে।

অৱশ্যে এইটো কথা সঁচা যে ১৯৭২ চনৰ পৰা ১৯৮২ চনৰ ভিতৰত যথেষ্ট পৰিমাণে অসমীয়া ভাষাত প্ৰাক-বিশ্ববিদ্যালয় আৰু স্নাতক মহলাৰ পাঠ্যপুথি আৰু নানা বিষয়ৰ সহায়ক পুথি প্ৰকাশিত হোৱাও নাছিল। আমি জানিব পাৰোনে, কিয় যথেষ্ট পৰিমাণে পাঠ্যপুথি আৰু নানা বিষয়ৰ সহায়ক পুথি ৰচনা কৰি প্ৰকাশ কৰা নহ'ল? বিশ্ববিদ্যালয় অনুদান আয়োগে (University Grants Commission) যথেষ্ট পৰিমাণে আমাৰ বিশ্ববিদ্যালয়বিলাকত আৰ্থিক অনুদান নিদিলে কিয়? অসমীয়া ভাষাত শিক্ষাৰ ব্যৱস্থা যথাৰ্থতে প্ৰাণৰ পৰাই প্ৰেৰণা নে ছলাহী মাত্ৰ? দেশবাসীয়ে এইবোৰ কথা গভীৰভাবে চিন্তা কৰিলে সুখী হম। বৰ্তমান অসমৰ বিশ্ববিদ্যালয়বিলাকত স্নাতক মহলাত তিনি বছৰীয়া পাঠ্যক্ৰম কৰাৰ পৰিকল্পনা চলিছে। হয়তো এই পৰিকল্পনা অচিৰেই কাৰ্যকৰী কৰা হ'ব। যদি সেয়ে হয়, পাঠ্যক্ৰমত, বিশেষকৈ অসমীয়া পাঠ্যক্ৰমত বহুতো খেলি মেলি লগাৰ সম্ভাৱনা। এই খেলিমেলি আঁতৰোৱাৰ ভাৰ আমাৰ বিশ্ববিদ্যালয় দুখনৰ বিশিষ্ট সাহিত্যিকসকলে গ্ৰহণ কৰিব লাগিব। এইটো কথা সঁচা যে আমাৰ শিক্ষা প্ৰণালী অতিৰিক্ত পৰীক্ষামূলক হৈ উঠিছে। পূৰ্বৰ সুচিন্তিত দুবছৰীয়া আই, এ আৰু দুবছৰীয়া স্নাতক মহলাৰ পাঠ্যক্ৰম পৰিবৰ্তন কৰি ১৯৬৩ চনৰ এবছৰীয়া প্ৰাক-বিশ্ববিদ্যালয় আৰু তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰবৰ্তন কৰা হ'ল। তাৰ কিছু বছৰৰ পিছতে ১৯৭৩ চনত ইয়াক পুনৰ পৰিবৰ্তন কৰি দুবছৰীয়া প্ৰাক্ বিশ্ববিদ্যালয়ৰ আৰু দুবছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰবৰ্তন কৰিলে। বৰ্তমানে আকৌ স্নাতকোত্তৰ পাঠ্যক্ৰম তিনি বছৰীয়া নে চাৰিবছৰীয়া কৰিব? এনেকুৱা খেলি খেলি আৰু অস্থিৰ পাঠ্যক্ৰম আন কোনোবা দেশত চলিছেনে?

পাঠ্যক্ৰম দীঘলীয়া কৰি দেশৰ ল'ৰা-ছোৱালীবিলাকৰ সমগ্ৰ জীৱন অধ্যয়নত ৰত ৰাখি সংসাৰত কৰ্মবিমুখ কৰিবৰ এয়েই ভাল পন্থী নেকি? ইয়াৰ দ্বাৰা কি উদ্দেশ্য সাধিত হ'ব?

ইংৰাজী মাধ্যমৰ বিদ্যালয়

আনহাতে ইংৰাজী মাধ্যমৰ বিদ্যালয় প্ৰত্যেক জিলাতে নতুন নতুনকৈ গঢ়ি উঠিছে আৰু অসম আৰু ভাৰত চৰকাৰৰ পৰা যথেষ্ট সহায় আৰু প্ৰেৰণা পাই উঠিছে। এইবোৰ বিদ্যালয়ত শই শই ল'ৰা-ছোৱালী ভৰ্তিও হৈ আছে। অনুমান কৰিব পাৰি অহা দহ বছৰৰ ভিতৰত এইবোৰ বিদ্যালয়ৰ সংখ্যা আৰু দহগুণ বাঢ়িব। উচ্চ শ্ৰেণীৰ চাকৰিয়াল, ধনী মহাজন আৰু উচ্চ পৰ্যায়ৰ লোকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীসকলক এইবোৰ বিদ্যালয়ত পঢ়ুৱায়।

অসমীয়া বিদ্যালয়বিলাক এনে অৱস্থাত দীৰ্ঘদিন চলি থাকিবনে? এনেকুৱা অৱস্থাত অসমীয়া ভাষা নিজৰ দেশতে গৌৰৱৰ আসন লৈ চলিব পাৰিব নে? অসমীয়া ভাষাৰ মাধ্যমত শিক্ষাদান কেনেকৈ উন্নতভাৱে চলিব? আমি কোন দিশে গতি কৰিব ধৰিছো?

সাহিত্যিক পেঞ্চন

আজি কেইবাবছৰ আগৰ পৰাই অসম চৰকাৰে সাহিত্যিক পেঞ্চনাৰ সৃষ্টি কৰিছে আৰু প্ৰতি বছৰে কেইবাজনো সাহিত্যিকক সাহিত্যিক পেঞ্চন দি আহিছে। বৰ্তমানে এই সাহিত্যিকসকলক মাহেকত চাৰিশ টকাকৈ পেঞ্চন দি আছে।

অসমীয়া সাহিত্যিকসকলক সাহিত্য সাধনাত প্ৰেৰণা যোগাবলৈ এনে সাহিত্যিক পেঞ্চনৰ প্ৰয়োজন আছে অসমৰ প্ৰায় প্ৰতিজন সাহিত্যিকৰেই আৰ্থিক অৱস্থা ভাল নহয়। এইদৰে দুখীয়া প্ৰতিভাৱান লেখকসকলে সাহিত্যিক পেঞ্চনৰ ওপৰত নিৰ্ভৰ কৰি গোটেই জীৱন সাহিত্য চৰ্চাত নিয়োগ কৰিব পাৰে আৰু এনে ব্যৱস্থাৰ ফলত অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি যথেষ্ট পৰিমাণে হোৱাতো সম্ভৱ।

কিন্তু এই পেঞ্চন দিয়াৰ ব্যৱস্থাত যথেষ্ট খেলিমেলি আছে। চৰকাৰে ৰাজনৈতিক হেঁচাত বহু ক্ষেত্ৰত উপযুক্ত সাহিত্যিকক এই পেঞ্চন দিয়া নাই। ইয়াৰ ফলত এই সাহিত্যিক পেঞ্চনৰ মানদণ্ড ক্ৰমাৎ নিম্নমুখী হৈ আহিছে বুলি অনুমান কৰিব পাৰি। সাহিত্যিক পেঞ্চনৰ কাৰণে উপযুক্ত সাহিত্যিক নিৰ্বাচনৰ ভাৰ অসম সাহিত্য সভাক দিয়াহেঁতেন, এই সাহিত্যিক পেঞ্চনৰ মানদণ্ড আৰু বৃদ্ধি হ'লহেঁতেন। গতিকে অসম চৰকাৰে সাহিত্যিক পেঞ্চন দিয়াৰ বৰ্তমান পদ্ধতি সলনি কৰিলে সমগ্ৰ দেশবাসীয়ে অতি সন্তোষ পাব। এই পেঞ্চনৰ সম্বন্ধে ৰাইজৰ কিছু ক'বলগীয়াও আছে। অন্যান্য পেঞ্চনৰ দৰে এই সাহিত্যিক পেঞ্চনৰ মৰগীয়া বানচ, চিকিৎসাৰ বাবে অনুদান আদি একোৰেই নাই। প্ৰায় প্ৰতি বছৰে এই পেঞ্চনৰ টকা বৃদ্ধিৰ কাৰণে অসম সাহিত্য সভালৈ অনুৰোধ আহে। সেয়ে এই পেঞ্চনাৰ মূল্য জীৱিকাৰ নিম্নতম মানদণ্ড পূৰাব পৰাকৈ হোৱা উচিত।

ৰাজ্যভাষা

যোৱা এবছৰৰ ভিতৰত অসমত ৰাজ্যভাষা অধিকতৰ প্ৰচলনৰ ব্যৱস্থা কৰা একোৰেই দেখা নগ'ল। অসম সাহিত্য সভাই অসম চৰকাৰৰ লগত এই বিষয়ে আলোচনাও কৰিব নোৱাৰিলে। অসম সাহিত্য সভাই অসম চৰকাৰৰ লগত অসমত ৰাজ্যভাষা অধিকতৰ প্ৰচলনৰ বিষয়ে ক'ত হেঙাৰ আছে, অসুবিধাবোৰ কিহত এইবোৰ বিষয়ে আলোচনা কৰিব বিচাৰে আৰু এই বিষয়ে অসম চৰকাৰক সকলো ক্ষেত্ৰত সহায় আৰু প্ৰেৰণা দিব বিচাৰে, কিন্তু এই বছৰৰ অধিকাংশ সময় ৰাষ্ট্ৰপতিৰ শাসন চলাত এইবোৰ বিষয়ে আলোচনা হোৱাত যথেষ্ট পৰিমাণে অসুবিধাৰ সৃষ্টি হ'ল।

বৰ্তমানে অসমত ৰাজ্যভাষা অসমীয়া নামতহে চলিছে, কামত চলা নাই। ৰাইজৰ সকলো কাম সকলো স্তৰতে ইংৰাজীতেই চলি আছে, অসমীয়াত নহয়। মনৰ পৰাই আকুলভাৱে প্ৰশ্ন আহে, অসমত অসমীয়া ৰাজ্যভাষা কেতিয়াৰ পৰা চলিব? বৰ্তমান যে নামত মাত্ৰ অসমীয়া ভাষা চলিছে— ৰাজ্যভাষাৰ অধিকতৰ প্ৰচলন কেতিয়াৰ পৰা চলিব আৰু প্ৰচলনৰ কাৰণে ব্যৱস্থা কি কৰিব?

অতীতত অসমৰ অতি ক্ষুদ্ৰ স্বাৰ্থৰ বাবেও সমগ্ৰ অসমীয়া জাতিয়ে বাৰে বাৰে আন্দোলন কৰিবলগীয়া হৈছে। ৰাজ্যভাষা অধিকতৰ প্ৰচলনৰ কাৰণেও সমগ্ৰ অসমীয়া জাতিয়ে পুনৰায় আন্দোলন কৰিব লাগিব নেকি?

সাতঙনীৰ দেশ

ৰাজনৈতিকভাৱে বৰ্তমান অসম খণ্ড-বিখণ্ড হৈ গ'ল। অসমৰ আটাইতকৈ দুৰ্ভাগ্যৰ বিষয় এই যে অসমৰ নেতাসকলে এই বিভাজন ৰোধ কৰিব নোৱাৰিলে আৰু আমাৰ মাজত একতাৰ বাণী প্ৰচাৰ কৰিব নোৱাৰিলে। আমাৰ নেতাসকলে জনগোষ্ঠী অঞ্চলবিলাকৰ স্বাৰ্থ সংৰক্ষণৰ ব্যৱস্থা নকৰাৰ বাবে আৰু তেওঁলোকৰ উন্নতিৰ বাবে আশা-আকাংক্ষা পূৰণ নকৰাৰ বাবে

আমাৰ জাতীয় জীৱনত এই দুৰ্যোগ নামি আহিল। কিন্তু আমি এইটো কেৱল দুখ কৰিলেই নহ'ব। আমি যিকোনো বিষয়ে সূত্ৰ ধৰি আকৌ মিলি-জুলি জীয়াই থকাৰ ব্যৱস্থা কৰিব লাগিব।

বৰ্তমান উত্তৰ পূৰ্বাঞ্চল সাতভনীৰ দেশ নামেৰে সকলোৰে মাজত পৰিচিত। অসমীয়া সংস্কৃতি আৰ্য্য সংস্কৃতি নহয়। অসমৰ প্ৰাচীন ঐতিহ্যও আৰ্য্যমূলীয় নহয়। অসমৰ অষ্ট্ৰিক, মংগোলীয় আৰু আৰ্য্যৰ মিলন সূত্ৰত গঢ়ি উঠা সংস্কৃতিৰ পৰাই অসমীয়া সংস্কৃতি আৰু ঐতিহ্যৰ উৎস। এতিয়াও এইটো পৰিৱেশ আমাৰ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বিস্তৃতি লাভ কৰিছে আৰু এই কাৰণেই আমাৰ একান্তভাৱে মিলন সম্ভৱ।

আমাৰ উত্তৰ পূৰ্বাঞ্চলবাসীৰ আশা-আকাংক্ষা আৰু ভবিষ্যত পৰিকল্পনা প্ৰায় একে ধৰণৰ। আমাৰ সংস্কৃতি, ঐতিহ্য, অতীত আৰু বৰ্তমান কৃষ্টিৰ মিল আছে। এইভাৱে ঐতিহ্য আৰু সংস্কৃতি বলিষ্ঠভাৱে গঠন কৰি আমি মিলিজুলি জীয়াই থাকিব লাগিবআৰু খোজত খোজ মিলাই নিৰ্দিষ্ট পন্থা হাতত লৈ উন্নতিৰ বাবে দৃঢ় পদক্ষেপ দিব লাগিব, কাৰণ আমাৰ অৱস্থাবিলাক প্ৰায় একেই। ভাৰত চৰকাৰৰ উত্তৰ পূৰ্বাঞ্চলৰ দ্বাৰা প্ৰায় সকলো বিষয়তে আমি অৱহেলিত। আমি সাত ভনীৰ দেশৰ মানুহ— আমাৰ কৃষ্টি আৰু ঐতিহ্যৰ মাজেদিহে মিলন সূত্ৰত আবদ্ধ হৈ একেলগে জীয়াই থাকিব লাগিব। বেলেগ বেলেগ হৈ আমি কেতিয়াও জীয়াই থাকিব নোৱাৰোঁ। কেৱল অসমেই নহয়, সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰ ভাৰত ৰাষ্ট্ৰৰ উপনিৱেশত পৰিণত হ'ব দিব নোখোজো। ভাৰতৰ অংগৰাজ্য হিচাপে অন্যান্য অংগৰাজ্যৰ নিচিনা সমান অধিকাৰ আৰু সুযোগ লৈ জীয়াই থকাৰ অধিকাৰ আমাৰ আছে।

বৰ্তমান আন্দোলন

আজি প্ৰায় দুবছৰতকৈ অধিক সময় অসমত প্ৰৱল আন্দোলন চলি আছে। এনেকুৱা অভূতপূৰ্ব আৰু দেশৰ সৰ্বসাধাৰণৰ সঁহাৰি পোৱা আন্দোলন আগে পিছে পৃথিৱীৰ ক'তো হোৱা নাই। এই আন্দোলন কিহৰ কাৰণে কৰিবলগীয়া হৈছে?

লাখ লাখ বিদেশী মানুহৰ প্ৰব্ৰজনে অসমৰ অস্তিত্ব সভ্যতা আৰু কৃষ্টি বিপন্ন কৰি পেলাইছে। চৰকাৰে বিদেশীৰ এই প্ৰব্ৰজন অতি লঘুভাৱে চাইছে আৰু এই সকল বিদেশীক নানাভাৱে ৰক্ষণাবেক্ষণ দিবৰ চেষ্টা কৰি আহিছে। গতিকে বিদেশী বিতাৰণৰ কোনো চেষ্টাই এতিয়ালৈকে চৰকাৰে গ্ৰহণ কৰা নাই। আন্দোলনৰ নেতাসকলৰ লগত ভাৰত চৰকাৰে বাৰে বাৰে আলোচনা কৰিলে, কিন্তু দুখৰ বিষয় যে এই যে এতিয়ালৈকে এই সমস্যাৰ সমাধানৰ সূত্ৰ উলিয়াব পৰা নাই। বিদেশী বিতাৰণত ভাৰত চৰকাৰৰ আপত্তি কিহৰ কাৰণে?

যিকোনো আন্দোলনে দীৰ্ঘকাল স্থায়ী হ'ব নোৱাৰে, যদি আন্দোলনৰ পিছত সমগ্ৰ দেশৰ জনসাধাৰণৰ সমৰ্থন নাথাকে। সৰ্বসাধাৰণে আন্দোলন কেতিয়াও সমৰ্থন নকৰে, যদি আন্দোলনৰ বিষয়বস্তুত ভিত্তি বা সত্যতা নাথাকে। এই আন্দোলন দেশৰ সৰ্বসাধাৰণৰ। দেশৰ ডেকা শক্তিয়ে এই আন্দোলনত প্ৰাণ বিসৰ্জন দিছে। এই আন্দোলনৰ এটা সুমীমাংসা হ'বই লাগিব। দেশৰ সৰ্বসাধাৰণৰ আশা-আকাংক্ষা এদিন নহয় এদিন সফল হ'বই।

আন্দোলন যিমানেই দীৰ্ঘমিয়াদী হ'ব সিমানেই দেশৰ অমংগল ঘটিব। আলোচনা-বিলোচনা কৰি দীৰ্ঘদিন সময় কটালে উত্তপ্ত পৰিৱেশৰহে সৃষ্টি হ'ব। এই আন্দোলনো শেষ নহয় আৰু দেশতো শান্তি নাহে। ভাৰতৰ সকলো ৰাজ্যৰ প্ৰায় সকলো নেতাই আমাৰ এই আন্দোলনৰ প্ৰয়োজনীয়তাৰ কথা মানি লৈছে। যোৱা দুবছৰে এই আন্দোলনৰ ফলত দেশত অস্থিৰ অৱস্থা থকাৰ কাৰণে দেশবাসীয়ে বহুতো নিকাৰ ভুঞ্জিলে, দেশত কোনো গঠনমূলক কাম কৰিব পৰা নগ'ল।

আমাৰ চৰকাৰ বিদেশী চৰকাৰ নহয়। তথাপি অতি সোনকালে এই সমস্যাৰ এটা সুমীমাংসা কৰিব নোখোজে কিয়? বিদেশীৰ ভয়ত নে বিদেশী ৰাষ্ট্ৰৰ ভয়ত? ভাৰতৰ এই দুৰ্বল নীতিৰ কাৰণে অসমে কেইবাবো নানা লাঞ্ছনা ভুগিব লগীয়া হৈছে? ভবিষ্যতেও 'অসমীয়া ভাইসকল, তোমালোকৰ দুখত আমিও যথার্থভাৱে দুঃখিত' বুলি আমাক বিদায় দিব নেকি? বিদেশীৰ হাতত আমাক সমৰ্পণ কৰি?

সময় থাকোঁতেই ভাৰত চৰকাৰে এইবোৰ কথাৰ সুমীমাংসা কৰাটো উচিত হ'ব। অসম বিৰোধী চক্ৰই অসমৰ মংগল কেতিয়াও কামনা কৰা নাই। এওঁবিলাকে সমগ্ৰ ভাৰতৰো মংগল কামনা কৰিব নোৱাৰে এই কথাটো ভাৰত চৰকাৰে জনা উচিত।

অৱশেষত ভাৰত চৰকাৰৰ ওচৰত এটি বিনীত নিবেদন জনাব বিচাৰো। অসম ভাৰত যুক্তৰাষ্ট্ৰৰ এটি সৰু অংগৰাজ্য। ভাৰতৰ অন্যান্য অংগৰাজ্যবিলাকে যিদৰে ভাৰত ৰাষ্ট্ৰৰ পৰা সহায় সহানুভূতি, আৰ্থিক অনুদান আদি পাইছে অসমেও তেনেকুৱা সহায়, সহানুভূতি অনুদান আদি বিচাৰে আৰু এই ৰাজ্য অন্যান্য অংগৰাজ্যৰ নিচিনা সমানে সকলো বিষয়ে উন্নত হ'ব বিচাৰে। অসম কেৱল বিদেশীৰ বাসস্থানত পৰিণত হওক, ভাৰতৰ অন্যান্য অংগ ৰাজ্যৰ নিবনুৱাৰ দলে লাখে লাখে অসমত আহি অসমত স্থায়ীভাৱে নানা সমস্যাৰ সৃষ্টি কৰক আৰু কোটিপতিসকলে অসমত নানা কল-কাৰখানা পাতি থলুৱা মানুহক বঞ্চিত কৰি কেৱল অন্যান্য অংগ ৰাজ্যৰ মানুহবোৰৰ অন্ন সংস্থাপনৰ ব্যৱস্থা কৰি দিয়ক, এনে ব্যৱস্থা অসমবাসীয়ে কেতিয়াও নিবিচাৰে। বে'ল বিভাগ, তাঁৰ বিভাগ, বেংক, বীমা নিগম আদিয়ে অসমত ব্যৱসায় সম্প্ৰসাৰণ কৰি থলুৱা মানুহক চাকৰি আদিৰ পৰা বঞ্চিত কৰা অসমবাসীয়ে সহ্য নকৰে। আমি সমগ্ৰ অসমবাসীয়ে অসম অংগৰাজ্যখন গোটেই ভাৰতৰ উপনিবেশত পৰিণত হ'ব দিব নোৱাৰো। ভাৰত চৰকাৰে এইবোৰ কথা মনত ৰখা উচিত হ'ব আৰু এইবোৰৰ উপযুক্ত বিধি ব্যৱস্থা কৰিলে অসমবাসী নিশ্চয় সুখী হ'ব।

ভাৰতৰ অন্যান্য সৰু সৰু অংগৰাজ্যবিলাকৰ বিষয়েও এই একে কথাই। সকলো সৰু সৰু অংগৰাজ্যৰ সৰ্বাংগীন উন্নতিৰ ব্যৱস্থা কৰিব লাগিব। এইবোৰ অংগৰাজ্যক নিষ্পেষণৰ পৰা ৰক্ষা কৰিব লাগিব, প্ৰয়োজন হ'লে ভাৰত শাসনতন্ত্ৰ সংশোধন কৰি হ'লেও। কিছুমান সৰু সৰু অংগৰাজ্য ধ্বংস হৈ যাওক, ডাঙৰ অংগৰাজ্যবোৰৰ মাত্ৰ উন্নতি, এনেকুৱা ভাবিব নোৱাৰি।

সুধী সকল।

অসম সাহিত্য সভাই বহু সময়ত বহু সমস্যাৰ সম্মুখীন হ'বলগীয়া হৈছে আৰু নানাভাৱে এইবোৰ সমস্যা সমাধানো কৰিবৰ চেষ্টা কৰি আহিছে। এইবোৰো আমি তেনেকুৱা বহু সমস্যাৰ সম্মুখীন হৈছো। প্ৰথম সমস্যা— অসম চৰকাৰে আমাক বহু বিষয়ত সহযোগিতা কৰা নাই। আৰ্থিক অনুদান চৰকৰৰ ফালৰ পৰা নোহোৱা হৈ আহিছে।

যুগে যুগে আমি দেখি আহিছো, প্ৰত্যেকৰ ৰাজ্যতে সেই সেই দেশৰ ৰজা মহাৰাজ বা চৰকাৰৰ তত্ত্বাৱধানত উৎসাহ আৰু আৰ্থিক অনুদানৰ ফলত বহু মূল্যবান সাহিত্য, কৃষ্টি আৰু সভ্যতাৰ বিকাশ ঘটিছে। বৰ্তমান অসম চৰকাৰেও অসম সাহিত্য সভাক তেনেকৈ আৰ্থিক অনুদান আৰু অন্যান্য সহায় দিয়াৰ প্ৰয়োজন আছিল। কিন্তু দুখৰ বিষয় এই যে আমি সেইখিনিৰ পৰা বঞ্চিত হ'বৰ উপক্ৰম হৈছো। কিন্তু ইয়াৰ ফলত অসম চৰকাৰৰ কিবা লাভ হ'বনে, নে সমগ্ৰ অসমীয়া জাতিৰ শ্ৰদ্ধা, মৰমপ্ৰীতি অসম চৰকাৰে লাভ কৰিব?

দ্বিতীয়তে— এইবোৰ আকৌ প্ৰবলভাৱে গুজৰ উঠিছে যে অসম চৰকাৰে এখন নতুন সাহিত্য সভা প্ৰতিষ্ঠা কৰিব আৰু চৰকাৰৰ পক্ষীয় কিছুমান সাহিত্যিকক লৈ এই নতুন সাহিত্য সভাৰ গুৰি ধৰাৰ ব্যৱস্থা কৰিব তেনেহ'লে অসম প্ৰকাশন পৰিষদৰ মৃত্যু ঘটিব নেকি? অসম সাহিত্য সভাৰ অৱস্থা তেতিয়া কেনেকুৱা হ'ব? অসম চৰকাৰে অসম সাহিত্য সভাক এইদৰে তিলে তিলে নিঃশেষ কৰিব পেলাব পাৰিবনে?

এইবোৰ কথা আপোনালোকৰ আগত নিবেদন কৰিবৰ নিতান্ত প্ৰয়োজন। আমি প্ৰয়োজন হ'লে সমগ্ৰ অসমৰ জনসাধাৰণৰ ওচৰত আৰ্থিক সহায়ৰ কাৰণে ভিক্ষাৰ জোলোঙা লৈ ওলাম আৰু আমি দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে আপোনালোকে অসম সাহিত্য সভাক কেতিয়াও নিঃশেষ হৈ যাবলৈ নিদিয়ে। অসম সাহিত্য সভা চিৰস্থায়ী হ'ক, চিৰদিন এই দেশৰ সাহিত্য কৃষ্টি, ঐতিহ্যৰ সেৱা কৰি অসমৰ সৰ্বাংগীন শ্ৰীবৃদ্ধি কৰক, সাহিত্য সভাৰ কাৰণে আপোনালোকৰ পৰা এই আশীৰ্বাদ কামনা কৰোঁ।

অসমীয়া জাতি অতীজৰ পৰাই মংগোলীয় অষ্ট্ৰিক আৰু আৰ্য্যগোষ্ঠীৰ লোকসকলৰ এটা মিশ্ৰিত জাতি আৰু এই কাৰণেই অতীজৰপৰা এই জাতিয়ে অসমৰ নানা জাতি, নানা গোষ্ঠীৰ লগত মিলিজুলি এই দেশতে বাস কৰি আহিছে আৰু একেলগে মিলিজুলি এই দেশৰ ভাষা, সাহিত্য আৰু কৃষ্টিৰ সেৱা কৰি আহিছে। অসমীয়া জাতি চিৰদিনেই দেশপ্ৰেমিক আৰু নিৰ্ভীক জাতি। অসমীয়াই যুগে যুগে নানা সমস্যাৰ সম্মুখীন হ'বলগীয়া হৈছিল যদিও প্ৰত্যেকবাৰতেই সকলো বিপদ অতিক্ৰম কৰি আহিছে। আহোম যুগতো ষোলবাৰ মোগল শক্তিৰ নিচিনা বিৰাট শক্তিৰ আক্ৰমণৰ পৰা অসমীয়াই আত্মৰক্ষা কৰিছে। বৃটিছৰ আমোলতো ভাৰতীয় নেতাসকলে ভাৰতৰ 'গ্ৰুপিঙত' সমৰ্পণ কৰিব খোজা ভুলৰ পৰা অসমীয়াই আত্মৰক্ষা কৰিছে। গতিকে

অসমীয়াই অতীতৰ পৰা নানা সমস্যাৰ মাজেদিও নিজৰ অস্তিত্ব ৰক্ষা কৰি আহিছে।

স্বদেশৰ প্ৰতি গভীৰ প্ৰেম থকা, স্বদেশৰ ভাষা, সাহিত্য আৰু কৃষ্টিৰ একান্তভাৱে সেৱা কৰা একো অপৰাধ নহয়। অসমীয়া জাতিয়েও একো অপৰাধ কৰা নাই। দেশৰ ভাষা, সাহিত্য আদিৰ সেৱা কৰাৰ আমাৰ এটা জন্মস্বত্ব আছে। এই অধিকাৰৰ পৰা আমাক কোনেও বঞ্চিত কৰিব নোৱাৰে। কোনোবা কুচক্ৰীয়ে যদি আমাৰ ভাষা, সংস্কৃতি ধ্বংস কৰিব বিচাৰে, তেন্তে সি কোনোদিনেই কৃতকাৰ্য নহ'ব। অৱশ্যে যুগে যুগে প্ৰতি দেশতে কেইজনমান বিভীষণ, বা বদন নাইবা 'Quisling' ৰ জন্ম হৈছে আৰু এন্ধাৰতে থাকি ইহঁতে পশ্চাৎঘাতীৰ কাম চিৰদিনে কৰি আহিছে। অসমতো সেয়েই হৈছে। ইহঁত এন্ধাৰৰেই মানুহ। দিনৰ পোহৰত এওঁলোক কেতিয়াও ওলাই নাহে। ভগৱানে ইহঁতক সুমতি দিয়ক। আমাৰ জয়যাত্ৰাৰ পথ সদায় সুগম হৈ থাকিব। আমাক ৰোধ কৰিব পৰা ক্ষমতা সিহঁতৰ নাই।

ডিফুৰ এই ৰাংছিনা নগৰ অতি পবিত্ৰ ঠাই। এই অঞ্চলতে মহাপুৰুষ ৰাংছিনাই কাৰবিসকলৰ মাজত কৃষ্টি, সভ্যতা আৰু জাতীয়তা বিকাশ ঘটাইছিল, সমগ্ৰ কাৰবি জাতিৰ একতা আৰু উন্নতিৰ হকে। কাৰবি আৰু অসমীয়া জাতিৰ মাজত কোনো পাৰ্থক্য নাই। আমি একে ভাই ভাই, বুকৰ কুটুম এই কথা যেন আমি আজিৰ পৰা গভীৰভাৱে উপলব্ধি কৰিব পাৰোঁ। সৰ্বশেষত এই কথাটোকে কৈ মই আপোনালোকৰ পৰা বিদায় ল'ব খোজো।

-- * --

সোণালী জয়ন্তী অধিবেশন

বঙাইগাঁও, ১৯৮৩ খ্রীঃ

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

ৰাইজ-যি মানুহৰ তেওঁলোকলৈ ভৌতিক আৰু আধ্যাত্মিক সৃষ্টিৰ স্ৰষ্টা আৰু নিয়ামক তেওঁলোকলৈ প্ৰণাম। আমাৰ অতিথিসকল যি সকলে আমাক ভাৰতবৰ্ষৰ সাহিত্য সাধনাৰ প্ৰেৰণা আমালৈ বহন কৰি আনিছে। তেখেত সকললৈ প্ৰণাম অসম সাহিত্য সভা, অভ্যৰ্থনা সমিতি আৰু কাৰ্যনিৰ্বাহকৰ সভ্যবৃন্দ যি সকলে এই ৰাজ্যত সাহিত্যৰ সুপৰিবেশ ৰচনাত ব্ৰতী-তেওঁলোকলৈ প্ৰণাম। সভাৰ প্ৰাক্তন সভাপতিসকল—যি সকলে ইয়াত সভাৰ ঐতিহ্যৰ বস্তি জ্বলাই দিছেহি—তেওঁলোকলৈ প্ৰণাম। শিল্পী-যিসকল আমাৰ সুন্দৰৰ সহযাত্ৰী-তেওঁলোকলৈ প্ৰণাম আৰু শেহত প্ৰণাম বুকুৰ কুটুম গোৱালপাৰাৰ বাৰেৱণীয়া ৰাইজলৈ—যাৰ অভ্যৰ্থনাত আমি মুগ্ধ, অভিভূত আৰু কৃতজ্ঞ।

সাহিত্যৰ পৰিবেশ ৰচনাৰ সমস্যা ঃ

অসম সাহিত্য সভা ঐতিহাসিক আৰু জাতীয় অনুষ্ঠান। এই সোণালী জয়ন্তী অধিবেশন সভাৰ দীৰ্ঘ জীৱন আৰু জনপ্ৰিয়তাৰ চিন। অৱশ্যে অকল এই দুটা গুণৰ দ্বাৰা ইয়াৰ সাৰ্থকতা বা সফলতা বিচাৰ কৰিব নোৱাৰি। মুখ্য উদ্দেশ্য সাধনত ই কিমান দূৰ আগবাঢ়িছে, তাক চালিজাৰি চাইহে ইতিহাসে ইয়াৰ সাৰ্থকতা বা সফলতাৰ কথা বিচাৰ কৰিব।

সভাৰ মুখ্য উদ্দেশ্য হ'ল অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বিকাশ সাধন। অন্যতম উদ্দেশ্য হ'ল জনজাতীয় ভাষা সাহিত্য-সংস্কৃতিৰ বিকাশত সহায় কৰা। ৰাজনৈতিক আৰু সামাজিক অস্থিৰতাৰ মাজতো আমি অবিচলিতভাৱে এই উদ্দেশ্য সাধনত আগবাঢ়ি যাব লাগিব। সাহিত্য-সংস্কৃতিৰ কাম জাতীয় উন্নতি আৰু মানৱ সেৱাৰো আহিলা। আমি আগৰ চাম সাহিত্যিক আৰু সাহিত্যসেৱীৰ চিন্তা আৰু কৰ্মৰো উত্তৰাধিকাৰী। তেওঁলোকৰ বহুত কাম আধৰুৱা হৈ আছে, বহুত আশা পূৰণ হ'বলৈ বাকী। ইতিমধ্যে নতুন কামো হাতত পৰিছেহি। এই প্ৰসংগত আগৰ সভাপতি ৺সীতানাথ ব্ৰহ্ম চৌধুৰীদেৱে সমন্বয় আৰু সংহতিৰ বাবে দি যোৱা প্ৰেৰণাৰ কথাও আমাৰ মনত পৰিছে।

বৰ্তমানৰ জটিল পৰিস্থিতিত শুদ্ধ সংকল্পই যথেষ্ট নহয়, সম্যক জ্ঞানৰ দ্বাৰা পৰিচালিত সুপৰিকল্পিত কামৰ প্ৰয়োজন। সমন্বয় আৰু সংহতি স্থাপন, যোৱা ফেব্ৰুৱাৰী মাহৰ কৰুণ ঘটনাবলীত বিনষ্ট হোৱা শান্তিৰ পুনৰ প্ৰতিষ্ঠা, মানৱীয় স্বত্ব আৰু নাগৰিক স্বাধীনতাৰ সুৰক্ষা আৰু বৰ্তমান চলি থকা বিদেশী নাগৰিক সম্পৰ্কীয় আন্দোলনৰ এটা সন্মানজনক সুমীমাংসা আদি উমৈহতীয়া ৰাজহুৱা কৰ্তব্যসমূহ আমাৰো কৰ্তব্য। এইবোৰত আমি যথাসাধ্যে ৰৰঙণি যোগোৱা উচিত। অৱশ্যে আজি সাহিত্যিক আৰু সাহিত্যৰ মুখ্য কৰ্তব্য হৈছে ভগা হিয়াবোৰ জোৰা দিয়া। প্ৰাণৰ অফুৰন্ত শক্তিৰে মানুহৰ আৰু মানুহৰ মাজত হৃদয় আৰু বুদ্ধিৰ মিলন ঘটাই আমি জাতীয় বিকাশৰ পথ পৰিষ্কাৰ কৰিব লাগিব। বৰ্তমান সময়ত আমাক লাগে অল্পকথন, ধৈর্য আৰু নীৰৱ কৰ্ম। এই নীৰৱ কৰ্মত ধৰ্ম আৰু ভাষা নিৰ্বিশেষে সকলোৱে সহযোগিতা আৱশ্যক। কৃষ্ণ সন্দিকৈৰ দ্বাৰা সম্পাদিত "সেতুবন্ধ"ৰ এটা শ্লোকত নীৰৱ কৰ্মৰ আদৰ্শ ব্যাখ্যা কৰা হৈছে। সুগ্ৰীৱে বানৰ সেনাক সেতু বন্ধাৰ কামত উদ্‌গনি দিবলৈ এইদৰে কৈছিল, "নীৰৱে নিজৰ কাম কৰি যোৱা সৎ লোক বিৰল। সকলোৱে অলক্ষিতে ফুল ধৰাই ফল দিয়া গছো অতি কম।" (৩.৯)। সন্দিকৈ নিজেও এনে কামৰ আৰ্হি আছিল। আমিও সেতু বন্ধাৰ কাম এইদৰেই কৰিব লাগিব।

সাহিত্য সভাই সাহিত্য সৃষ্টি নকৰে, সাহিত্য সৃষ্টিৰ পৰিবেশ বচনা কৰে। এই পৰিবেশ বচনাৰ কাম কৰিবলৈ সম্যক দৃষ্টিৰ প্ৰয়োজন। সম্যক দৃষ্টিৰ বাবে আকৌ সমগ্ৰ সমাজ-ব্যবস্থাৰ প্ৰকৃতি আৰু গতিবো স্বৰূপ উপলব্ধি কৰিব লাগিব। ভাষিক বাজ্য গঠন ভাৰতবৰ্ষৰ সৰ্বাংগীন উন্নতিৰ এটা ডাঙৰ পদক্ষেপ। জাতীয়তাবাদী আৰু সমাজবাদী উভয় দৃষ্টিৰ পৰা, ভাষিক বাজ্যৰ গঠন গণতান্ত্ৰিক পদ্ধতিৰে সমাজবাদী সমাজ স্থাপনৰ জাতীয় সংকল্প পূৰণৰ এক শক্তিশালী পদক্ষেপ। অসমীয়া ভাষাক কেন্দ্ৰ কৰি বচা অসম বাজ্যও এনে সমাজ স্থাপনৰ আহিলা। ১৮৯১ চনৰ ১৭ নৱেম্বৰৰ 'কেশৰী'ত লোকমান্য তিলকে প্ৰথম ভাষিক বাজ্যৰ আদৰ্শ ব্যাখ্যা কৰে আৰু কয় যে এনে বাজ্য গঠন ইতিহাসৰ নিৰ্দেশ। এনে বাজ্য গঠনেহে বাইজৰ আৰু লোক ভাষাসমূহৰ বিকাশ সাধন কৰিব বুলি তেওঁ দৃঢ় মত প্ৰকাশ কৰিছিল। এই মত পিছত কংগ্ৰেছ আৰু সমাজবাদী দলসমূহে গ্ৰহণ কৰে আৰু তাৰ ভেটিত অন্যান্য বাজ্যৰ লগতে অসম বাজ্যও গঠন হয়। এই বাজ্যত থকা অন্য ভাষিক বাজ্যৰ নাগৰিকসকলৰ ভাষা আৰু থলুৱা জনজাতীয় ভাষাবোৰৰ স্থান সুনিৰ্দ্ধাৰিত, বিশেষকৈ ভাষাবোৰৰ অসমেই থকা ঠাই; সেই কাৰণে এইবোৰ ভাষাৰ বিকাশৰ বাবে অসমৰ বাইজৰ বিশেষ দায়িত্ব আছে। ভাষাৰ বিকাশৰ বাবে অসমৰ বাইজৰ বিশেষ দায়িত্ব আছে। ভাষাৰ কাজিয়াবোৰৰ বাবে যিবোৰ উগ্ৰ জাতীয়তাবাদী আৰু সাম্প্ৰদায়িক শক্তি দায়ী, সেইবোৰে সামন্তবাদ, পুঁজিবাদ আৰু বাষ্ট্ৰীয় পুঁজিবাদৰ স্বাৰ্থত কাম কৰা কিছুমান স্থিতিশীল বাজনৈতিক সংগঠন বা শ্ৰেণীৰ আশ্ৰমত ডাঙৰ-দীঘল হয়। স্থিতিশীলতাৰ আৰু গতিশীলতাৰ যি সংগ্ৰাম বৰ্তমান সমাজত চলি আছে, তাৰ আমি সম্যক অধ্যয়ন কৰিলে দেখা পাওঁ উগ্ৰ জাতীয়তাবাদ, ধৰ্মীয় সাম্প্ৰদায়িকতাবাদ, উগ্ৰ জনজাতীয়তাবাদৰ শক্তিবোৰ তেতিয়ালৈকে সজীৱ হৈ থাকে, যেতিয়ালৈকে জনশক্তি সচেতন আৰু সু-সংগঠিত নহয়। দেশৰ বাজনৈতিক ব্যবস্থা সমস্যা সমাধানত অসমৰ্থ হৈ পৰিছে, আৰু গণতন্ত্ৰত এটা সংকট উপস্থিত হৈছে। এনে অবস্থাত বাইজেই আমাৰ একমাত্ৰ আশ্ৰয়, কাৰণ বাইজৰ নাও বামেও যায়। প্ৰকৃততে অসমীয়া ভাষা জাতীয় ভাষা ৰূপে পৰিগণিত হৈছে, ই কোনো সম্প্ৰদায়ৰ বা গোষ্ঠীৰ ভাষা নহয়। ই অসমত বাস কৰা সকলো শ্ৰেণীৰ লোকৰে উমৈহতীয়া ভাষা—যিটো তেওঁলোকৰ ক্ৰমাৎ বাজহুৱা জীৱনৰ যোগাযোগ আৰু সাহিত্যিক আত্মপ্ৰকাশৰ ভাষাত পৰিণত হৈছে। অসমৰ আৰ্থসামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ আহিলা ৰূপে উমৈহতীয়া ভাষাৰ লগতে থলুৱা ভাষাবোৰৰ মৰ্যাদা ৰক্ষা আৰু বিকাশৰ বাবে যত্ন কৰিবলৈ অসম সাহিত্য সভা সংকল্পবদ্ধ। বৰ্তমান অবস্থাত আমাৰ আৰ্থসামাজিক ব্যবস্থাৰ ওপৰত আভ্যন্তৰীণ উপনিবেশবাদৰ প্ৰভাৱ চলি থকা বাবে বাইজে উন্নয়নৰ কাম পৰিচালনা আৰু সম্পাদন কৰাৰ সুযোগ পোৱা নাই। বাজহুৱা জীৱনৰ বাহন ইংবাজী ভাষা হ'ব নোৱাৰে, জাতীয় ভাষা আৰু থলুৱা ভাষাবোৰহে হ'ব লাগিব। ক্ৰান্তি-কালত আমি এই ভাষাবোৰৰ হক প্ৰতিষ্ঠা কৰিব লগা হৈছে। এনে সময়ত আমি ভাষাতাত্ত্বিক আৰু সামাজিক ভাষাতত্ত্বৰ দৃষ্টিৰে ভাষা সমস্যা ফঁহিয়াই চাই ভাষাৰ উন্নয়নৰ কাৰ্যসূচী বচনা কৰিব লাগিব। এই কামত আমি সমাজ বৈজ্ঞানিকসকল আৰু বাইজৰ ঐকান্তিক সহযোগ বাঞ্ছা কৰিলোঁ।

অসমীয়া ভাষাৰ সামাজিক ভূমিকাৰ বিষয়টো অধ্যয়ন কৰোতে আমি ইয়াৰ বাজ্যাঞ্চলৰ আৰু জনসংখ্যাৰ প্ৰকৃতিৰ স্থিৰতা কেনেকৈ ৰক্ষা পৰে তাৰ কথাও সুস্থিৰভাৱে বিবেচনা কৰিব লাগিব। অসমৰ বাজ্যাঞ্চল ধৰ্ম, প্ৰজাতি, কুল, জনজাতি আৰু উপভাষা বা সংমিশ্ৰিত উপভাষাৰ ভেটিত ভাগ ভাগ কৰাটো প্ৰগতিশীল দৃষ্টিভংগীতো নহয়েই, অবাস্তৱো। অন্য বাজ্যাঞ্চলৰ পৰা আহি বিভিন্ন ভাষিক আৰু ধৰ্মীয় গোটৰ নাগৰিকসকলৰ অসমৰ থলুৱা জনসাধাৰণৰ প্ৰতি এটা কৰ্তব্য আছে। তেওঁলোকে নাগৰিক স্বত্ব নিশ্চয় ভোগ কৰিব, আৰু এই বিষয়ত থলুৱা বাইজেও তেওঁলোকৰ লগত সহযোগিতা কৰিব। তেওঁলোকেও বিচ্ছিন্নতাৰ ভাব পোষণ কৰা উচিত নহয় আৰু সকলো সমস্যা পোনপটীয়াভাৱে থলুৱা বাইজৰ লগত কথা-বতৰা পাতি সমাধান কৰা উচিত। অবাধ প্ৰব্ৰজন বন্ধ কৰা আৰু বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান উলিওৱাৰ ক্ষেত্ৰতো এনে পোনপটীয়া সংলাপ বেছি ফলপ্ৰদ হ'ব। তৃতীয় পক্ষৰ অবাঞ্ছনীয় হস্তক্ষেপ হ'লে ফল যে বেয়া হয় তাক আমি ইতিমধ্যে দেখা পাইছোঁ। তেওঁলোকে অসমৰ থলুৱা জনসাধাৰণৰ লগত পোনপটীয়া কথা-বতৰা পাতিলে তেওঁলোকৰ আশা-আকাংখা আৰু দাবীৰ আচল স্বৰূপ বুজিব পাৰিব।

অবাধ প্ৰব্ৰজনৰ ফলত অসমীয়া ঐতিহাসিক বাজ্যাঞ্চলত জনসংখ্যাৰ প্ৰকৃতিৰ যি ব্ৰত সলনি ঘটিছে, তাৰ পৰিণাম স্বৰূপে ক্ষুদ্ৰ অসমীয়া জাতিৰ মনত ধৰতে সংখ্যালঘু হোৱাৰ বা ভাষিক বাজ্য হেকওৱাৰ আশংকাই দেখা দিছে। বৃহৎ জাতিৰ

ৰাজ্যাঞ্চলবোৰত এনে বিপুল আৰু অবাধ প্ৰব্ৰজনে সেই জাতিবিলাকৰ মাজত অন্য সমস্যাৰ সৃষ্টি কৰিব পাৰে, কিন্তু ভাষিক ৰাজ্য হেৰুওৱাৰ আশংকা নোপজায়। এই দৃষ্টিৰ পৰা চালে অবাধ প্ৰব্ৰজন নিয়ন্ত্ৰণ আৰু বন্ধ কৰাৰ লগতে অবাধ প্ৰব্ৰজনৰ ফলত হোৱা আশংকাৰো নিৰাময় কৰিব লাগিব। ভাষিক ৰাজ্যৰ হক ৰক্ষাৰ বাবে অসমত বসবাস কৰিবলৈ অহা সকলো নাগৰিককে স্বত্ব ভোগৰ অধিকাৰ দিয়াৰ লগতে এই ৰাজ্যৰ প্ৰতি তেওঁলোকৰ কৰ্তব্যৰ কথাও নিৰ্দিষ্ট কৰি দিব লাগিব। অৱশ্যে থলুৱা লোক সকলৰো কৰ্তব্য আছে; তেওঁলোকে সেই নাগৰিকসকলৰ স্বত্ব ৰক্ষা কৰিব লাগিব। এনে এটা সমাধানৰ কথা গান্ধীজীয়েও কৈছিল। গান্ধীজীয়ে কোৱা কথাবোৰ বিশেষভাৱে প্ৰণিধানযোগ্য। এই কথাবোৰ থুলমূলকৈ এনে ঃ

(১) আত্মকেন্দ্ৰিক প্ৰাদেশিকতা বেয়া। সকলো প্ৰদেশৰ (ৰাজ্যৰ) লোকেই ভাৰতৰ লোক (বা ভাৰতীয়), আৰু ভাৰতো তেওঁলোক সকলোৰে বাবে। মাত্ৰ এটা চৰ্ত সকলোৱে মানি চলিব লাগিব। এখন প্ৰদেশৰ পৰা আন এখন প্ৰদেশলৈ প্ৰব্ৰজন কৰি তাত বসবাস কৰা ভাৰতীয় নাগৰিকে, সেই ৰাজ্যত শোষণ আৰু আধিপত্য বিস্তাৰ (rule) কৰিব নোৱাৰিব। তেওঁ সেই ৰাজ্যৰ স্বাৰ্থও হানি কৰা উচিত নহয়। প্ৰত্যেকজন ভাৰতীয় নাগৰিকৰে বিহাৰত বসতি কৰা অধিকাৰ আছে, কিন্তু বিহাৰীক বঞ্চিত কৰিব পৰা কোনো কাম কৰা উচিত নহয়। এনেবোৰ প্ৰতিবন্ধ নেথাকিলে অবিহাৰীৰ অবাধ প্ৰব্ৰজনে বিহাৰী সকলক প্লাৱিত কৰি পেলাব পাৰে। অবিহাৰীৰ কৰ্তব্য হ'ল বিহাৰত থাকি বিহাৰক সেৱা কৰা। বৃটিছ প্ৰভুসকলৰ দৰে তেওঁলোকে বিহাৰীক শোষণ কৰা উচিত নহয়।

(২) সদৌ ভাৰতবৰ্ষৰ স্বাৰ্থতে এখন ৰাজ্যৰ সৰ্বাংগীন উন্নতি হোৱা বাঞ্ছনীয়। কোনো প্ৰদেশ বা জনজাতি অনগ্ৰসৰ হৈ থাকিব নেলাগে, কাৰণ কোনো জন সমষ্টি অনগ্ৰসৰ অৱস্থাত থাকিলে, আমাৰ দেশে বিশ্বত মুৰ তুলি থিয় দিব নোৱাৰিব। ৰাজ্যৰ উন্নতি প্ৰত্যেক ব্যক্তিৰ অন্তৰ্নিহিত সংস্কৃতি আৰু সমাজবাদৰ মাজেদি প্ৰকাশিত হ'ব লাগিব।

(৩) অন্যায় কাৰ্যৰ ফলত বিবাদ লাগিলে সেই বিবাদ মীমাংসাৰ বাবে কোনেও হিংসাৰ পন্থা গ্ৰহণ কৰা উচিত নহয়। শান্তিপূৰ্ণ মীমাংসা আৰু শান্তিপূৰ্ণ সম্পৰ্কহে বাঞ্ছনীয়।

(৪) বহিৰাগত নাগৰিকসকলে বেলেগ পাম পাতি বাস কৰা উচিত নহয়। মূল লক্ষ্য হ'ব লাগে লাহে লাহে স্থানীয় সমাজৰ লগত মিলি যোৱাৰ প্ৰবাহ সৃষ্টি। অৱশ্যে স্থানীয় সমাজৰ বেয়া গুণবোৰ বৰ্জন কৰি ভালবোৰ গ্ৰহণ কৰাৰ শক্তি বহিৰাগত নাগৰিকসকলক লাগিব। গান্ধীজীয়ে কৈছিল ঃ "মই এজন গুজৰাটী। মই যদি বংগদেশত বাস কৰোঁ, তেন্তে বংগদেশৰ ভালখিনি সম্পূৰ্ণৰূপে গ্ৰহণ কৰিম, কিন্তু বেয়াখিনি স্পৰ্শও নকৰো। নিজ স্বাৰ্থ পূৰণ কৰিবলৈ মই বংগদেশক শোষণ নকৰো, বৰং প্ৰদেশখনৰ সেৱাহে কৰিম। আমাৰ জীৱনৰ ঘাই দোষ হ'ল সংকীৰ্ণ প্ৰাদেশিকতা। মোৰ প্ৰদেশখনে ভাৰতৰ চাৰিসীমালৈকে বিস্তৃত হৈ শেহত পৃথিৱীৰ চাৰিসীমা চুবগৈ লাগে। বিস্তৃত নহ'লে প্ৰদেশখন ধ্বংস হ'ব।"

নাগৰিকসকলক এনে কৰ্তব্য বোধেৰে উদ্বুদ্ধ কৰিবলৈ আমি এই ভাৱবোৰ গ্ৰহণ কৰি সংবিধানৰ কৰ্তব্যৰ অধ্যায়ত লিপিবদ্ধ কৰিলে ভাৰতবৰ্ষৰ মানুহৰ আন্তঃৰাজ্যিক সম্পৰ্ক উন্নত কৰাৰ এটা স্থায়ী পথ পোৱা যাব। অসমৰ জনসংখ্যাৰ প্ৰকৃতিত যাতে এটা ভয়ানক পৰিবৰ্তন নহয়, তাৰ বাবে অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতা দূৰীভূত নোহোৱা পৰ্যন্ত বা স্থায়ীভাবে আৰু মাটি আদিৰ ক্ষেত্ৰত কিছুমান সাংবিধানিক ৰক্ষা-কৱচৰ আৱশ্যক হ'ব।

অসমৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰতো জাতীয় ভাষাৰ বিশেষ ভূমিকা এটা আছে। কাৰখানা, পথাৰ, বজাৰ, উন্নয়ন কেন্দ্ৰ, বেংক, জীৱন বীমা কাৰ্যালয় আদিত অসমীয়া ভাষাৰ প্ৰয়োগ বাঢ়ি আহিছে। নগৰবোৰতো এই ভাষা যোগাযোগৰ ঘাই ভাষা। গাঁও আৰু নগৰ, গাঁও আৰু চাহ বাগান এইবোৰৰ মাজত আদান-প্ৰদান বাঢ়িছে আৰু সমাজৰ বিভিন্ন গোট, জাত আৰু শ্ৰেণীৰ মাজত অৰ্থনৈতিক বান্ধোন (এইবোৰৰ মাজত বিভিন্ন মনোভাৱ থকা স্বত্বেও) কট্‌কটীয়া হৈ আহিছে। এনেকুৱা ধৰণৰ বিকাশ আন আন ক্ষেত্ৰতো ঘটিছে। ৰাজহুৱা সভা, বিধান সভা, কাছাৰী, গণমাধ্যমসমূহ (সংবাদ পত্ৰ আদি), শিক্ষালয়, বিশ্ববিদ্যালয় আৰু প্ৰশাসনত অসমীয়াৰ ব্যবহাৰ ক্ৰমাৎ বাঢ়ি আহিছে। এই প্ৰসংগত এটা কথা মনলৈ আহে। অসমৰ কিছুমান গোটৰ মাজত প্ৰজাতিগত, সামাজিক আৰু শ্ৰেণী চেতনাৰ উদ্ভৱ হৈছে যদিও এই চেতনাবোৰে মূলতঃ জাতীয় চেতনাৰ বিকাশত বিশেষ বাধা দান কৰিব বুলি ক'ব নোৱাৰি। জাতীয় চেতনাৰ সৈতে প্ৰজাতিগত বা শ্ৰেণীগত চেতনাৰ বিৰোধ দেখা দিলেও, পিছৰ চেতনাবোৰ জাতীয় চেতনাৰ অংগীভূত কৰাৰ যথেষ্ট সম্ভাৱনা আছে। বিভিন্ন জাত, সম্প্ৰদায়, ধৰ্ম, জনজাতি, চাহ-কনুৱা, পমুৱা

আদি চেতনাৰ ভেটিত সংগঠিত হোৱা গোটবোৰৰ প্ৰজাতিগত মানসিক বৈশিষ্ট্যবোৰ সম্পৰ্কে আমি গভীৰ ভাবে অধ্যয়ন কৰিলে দেখিম যে এইবোৰ বৈশিষ্ট্য জাতীয় মানসিক চেতনাৰ সংস্পৰ্শত আহি সলনি হৈছে। যান্ত্ৰিক উৎপাদন, নগৰিকৰণ, যোগাযোগ ব্যবস্থাৰ উন্নতি আৰু উমৈহতীয়া আৰ্থসামাজিক জীৱনে এই মানসিক বৈশিষ্ট্যবোৰ হয় এক সাৰ্বজনিক জাতীয় চেতনাৰ অংগীভূত হৈছে, নহয় সেই অভিমুখে ৰূপান্তৰিত হৈছে। এই বৈশিষ্ট্যবোৰ কিছুমান পৰম্পৰা, অভ্যাস, প্ৰথা, ৰুচি, ধাৰণা, অনুভূতি, পটুতা, ধৰ্ম্মবিশ্বাস আৰু লোককলাৰ মাজত ফুটি উঠে। এই প্ৰজাতিগত বৈশিষ্ট্যবোৰৰ তথ্য আৰু গুণাগুণ প্ৰকাশ কৰাৰ উমৈহতীয়া মাধ্যম হ'ল অসমীয়া ভাষা। ঐতিহাসিক আৰু সামাজিক কাৰণত এই ভাষাৰ শব্দাৱলী, উপভাষা আৰু বৈয়াকৰণিক ৰূপত বিভিন্ন জনজাতীয় আৰু প্ৰজাতিগত মানসিকতাৰ প্ৰভাৱ পৰিছে। কাৰণ এই ভাষাৰ পৰিৱেশ বিভিন্ন প্ৰজাতিগত গোটবোৰৰ পৰিবেশৰ সৈতে একে। কাজেই আৰ্থ-সামাজিক বিকাশ দ্ৰুত হোৱাৰ লগে লগে বহুমুখী জাতীয় মানসিকতাৰ বিকাশো দ্ৰুত হ'ব। চাহ-বাগানৰ বনুৱা আৰু পমুৱা খেতিয়কসকলৰ বিশিষ্ট মানসিকতাবোৰ অধ্যয়ন কৰিলে দেখা যায় তাতো পুৰণি আৰু নতুনৰ সংঘৰ্ষ আছে। আন আন গোটবোৰৰ মানসিকতাতো এই সংঘৰ্ষ দেখা পাওঁ। অসমীয়া সাহিত্যৰ বৰ্তমান যিসকল স্ৰষ্টা সেই সকলৰ ভিতৰত কিছুমান সামাজিক গোটৰ সংখ্যা সৰহ, এই কথা সঁচা। কিন্তু পিছুপৰা থকা গোট আৰু বনুৱা শ্ৰেণীৰ পৰাও লাহে লাহে লেখক ওলাবলৈ লৈছে। গতিকে সাহিত্য সৃষ্টিতো বেলেগ বেলেগ প্ৰজাতিগত মানসিকতা প্ৰকাশ হ'বলৈ ধৰিছে আৰু এই বিচিত্ৰ প্ৰকাশে অসমীয়া সাহিত্যক জাতীয় সাহিত্যলৈ লাহে লাহে ৰূপান্তৰিত কৰিছে। আনহাতে অসমৰ গাঁৱে-ভূঞে পৰ্বতে-পাহাৰে থকা বাইজেও সাহিত্য সৃষ্টি আৰু উপভোগ কৰিবলৈ বিচাৰিছে। এইটো শুভ লক্ষণ বুলিয়েই মই ভাবোঁ। বনুৱা শ্ৰেণীবোৰৰ অন্তৰৰ সামাজিক মানসিকতাও সাৰ্বজনিক সাহিত্যৰ উপাদান বুলি মোৰ ধাৰণা। বিভিন্ন গোটবোৰৰ বিশিষ্ট চেতনাবোৰৰ ভাল গুণবোৰ লৈ এক সাৰ্বজনিক জাতীয় চেতনা বিকশিত হ'লে অসমীয়া সাহিত্যতো সাৰ্বজনিক সৃষ্টিৰ পথ মুকলি হ'ব। ইতিমধ্যে বঙালী সমন্বিতে বিভিন্ন ভাষিক গোটৰ লেখকেও অসমীয়া সাহিত্যলৈ বৰঙণি যোগাইছে; জনজাতীয় চাহবাগানৰ বনুৱা আৰু ন পমুৱা খেতিয়কসকলেও এই সৃষ্টি যজ্ঞত ভাগ লৈছে বা ল'বলৈ যোজা কৰিছে। জাতীয় ভাষাৰ এই সাৰ্বজনিক ৰূপ গ্ৰহণৰ তাৎপৰ্য যথেষ্ট।

বৰ্তমানৰ আৰ্থ-সামাজিক বিকাশৰ ভৰত অসমত থকা বিভিন্ন সামাজিক গোটৰ মানসিকতা প্ৰজাতিগত হো বাবে প্ৰত্যেক গোটৰে সুকীয়া আৰু বিশিষ্ট সংস্কৃতিৰ দাবীসমূহে মূৰ তুলি উঠিছে। অসমীয়া জাতীয় সংস্কৃতিৰ প্ৰবক্তা পণ্ডিতসকলেও কেতিয়াবা প্ৰজাতিগত চেতনাৰ বশৱৰ্তী হৈ নিৰ্দিষ্ট গোটৰ সংস্কৃতিকে জাতীয় সংস্কৃতি বুলি অভিহিত কৰিবলৈ চেষ্টা কৰে। ইয়াৰ ফলত আমাৰ সামাজিক চেতনাৰ দ্বন্দ্ব উপস্থিত হৈছে। ক্ৰান্তিৰ কালত এনে দ্বন্দ্ব হোৱা স্বাভাৱিক। গতিকে আমি প্ৰজাতিগত চেতনাবোৰৰ স্বৰূপ ভালদৰে বিশ্লেষণ কৰি সেইবোৰৰ অচল আৰু সজীৱ উপাদানবোৰ ফঁহিয়াই দেখুওৱা উচিত। অসমত কেইটামান ধৰ্মীয় আৰু সাম্প্ৰদায়িক সামাজিক গোটো আছে। কিছুমান অৰ্থনৈতিক গোট (চাহ বনুৱা) ভাষিক-সামাজিক (বঙালী, হিন্দী ইত্যাদি) আৰু মধ্যমবৰ্গীয় শ্ৰেণীও (শিক্ষক, সাহিত্যিক, বৈজ্ঞানিক আৰু বিভিন্ন শ্ৰেণীৰ বুদ্ধিজীৱী ইত্যাদি) আমাৰ মাজত আছে। এই সকলোবোৰৰ গোটৰ বিশিষ্ট ধাৰণাবোৰত ঐতিহ্যবাদিতা আৰু আধুনিকতাৰ (পৰিবৰ্তনকামিতা) দ্বন্দ্ব বৰ্তমান। গোটবিলাকৰ প্ৰত্যেকৰে ইতিহাস ব্যাখ্যা আৰু সংস্কৃতি-ব্যাখ্যা আত্ম পৰিচয়মূলক আৰু পূৰ্ব ধাৰণাপ্ৰসূত হোৱা দেখা যায়।, কাৰণ তেওঁলোকে মনৰ বাহিৰত থকা জগতৰ তথ্য অনুসন্ধান কৰি প্ৰণালীবদ্ধভাবে ইতিহাস আৰু সংস্কৃতিৰ গবেষণা কৰি তথ্য আহৰণ নকৰে। এনে ধৰণেৰে ইতিহাস ব্যাখ্যা কৰোতাসকলৰ ভিতৰত সাম্ৰাজ্যবাদী, উগ্ৰ জাতীয়তাবাদী, সাম্প্ৰদায়িক আৰু সংৰক্ষণশীল পণ্ডিতসকলো পৰে। এনবোৰ ব্যাখ্যাৰ প্ৰভাৱ ৰাজনীতিত বা সংস্কৃতিত পৰিলে আধুনিক বা পৰিবৰ্তনকামী শক্তিবোৰৰ কাম আৰু সুষ্ঠ জাতীয় চেতনা বিকাশৰ কামত বাধা পৰে। বিভিন্ন প্ৰজাতীয় চেতনাক বহল অসমীয়া জাতীয় চেতনাৰ অন্তৰ্ভুক্ত কৰি ল'বলৈ আমাৰ ইতিহাস, সামাজিক ভাষাতত্ব আৰু সংস্কৃতিৰ বৈজ্ঞানিক ব্যাখ্যা হ'ব লাগিব, যাতে এক আৰু বহুৰ সমন্বয় ঘটে।

ইতিহাস ৰচনাৰ বাবে প্ৰাগৈতিহাসিক আৰু ঐতিহাসিক উভয় কালৰ সভ্যতা, সমাজ আৰু সংস্কৃতিৰ ধাৰাবাহিক বিকাশৰ তথ্য লাগিব। বিভিন্ন সামাজিক গোটৰ আত্মপৰিচয়মূলক ইতিবৃত্তবোৰত তথ্যৰ বিভিন্ন সংকেত নোহোৱা নহয়। এই সংকেতবোৰ অক্তিকথা, কিম্বদন্তী, লোক-সাহিত্য, লোক-কলা, ধৰ্মীয় ধ্যান-ধাৰণা, কৰ্ম আৰু লোক-দৰ্শনত পোৱা যাব। এইবোৰৰ আতি-

শুবি উলিয়াবলৈ ভাষাতত্ব, নৃতত্ব, নন্দনতত্ব আৰু সমাজতত্বৰ সাহায্যৰ উপৰিও প্ৰাগৈতিহাসিক প্ৰত্নতত্বৰ সাহায্য বিশেষভাৱে আৱশ্যক। পৰিতাপৰ বিষয় অসমৰ এটা বিশ্ববিদ্যালয়তো এই বিষয়টো নাই। আমবাৰীৰ খনন কাৰ্যই ইতিহাসৰ তথ্য আহৰণত প্ৰাগৈতিহাসিক পু�ৰাতাত্বিক গৱেষণাৰ সাহায্য লাভৰ সম্ভাৱনাৰ আশা আমাৰ মনত জগাইছিল, কিন্তু উদ্যম আৰু পৰিৱেশৰ অভাৱত সেই কাম বন্ধ হ'ল। পু�ৰাতত্বৰ শিক্ষা, চৰ্চা আৰু গৱেষণা আমাক লাগে। তেতিয়া ইয়াত আদি শৈল যুগৰেপৰা বাসকৰা আৰু সভ্যতা গঢ়া আদিম পূৰ্বপুৰুষসকলৰ সংস্কৃতিৰ তথ্য আহৰণ কৰিব পাৰিম আৰু ঐতিহাসিক কালত সমাজবোৰৰো যথেষ্ট তথ্য পাম। ইয়াৰ বাহিৰেও আঞ্চলিক সাহিত্য, কলাসমূহ আৰু লোক-সংস্কৃতিৰ তথ্যও আমাক লাগিব। দুৰ্ভাগ্যবশতঃ লোক সংস্কৃতিৰ চৰ্চা আমাৰ ৰাজ্যত চালুকীয়া অৱস্থাত আছে আৰু কলাসমূহৰ বিশ্ববিদ্যালয় স্তৰৰ শিক্ষা আৰম্ভই হোৱা নাই। ব্যক্তিগত প্ৰতিভা আৰু উদ্যমৰ বলত দুই এজনে ৰগীত, সত্ৰীয়া নৃত্য, চিত্ৰকলা আৰু ভাস্কৰ্য আদিৰ অধ্যয়ন কৰিছে। সামাজিক ভাষাতত্ব আৰু সমাজতত্ব বিষয়ক চৰ্চাও অতি চালুকীয়া অৱস্থাত। গতিকে বৈজ্ঞানিক আৰু সম্পূৰ্ণ ইতিহাস ৰচিবলৈ সময় লাগিব। ইতিমধ্যে জাতীয় দৃষ্টিভংগীৰে যিসকলে প্ৰাচীন কামৰূপ আৰু আহোম-কোচ যুগৰ ইতিহাস ৰচিছে, তেওঁলোকে আমাক অসমৰ ৰাজ্যাঞ্চল, ৰাজনৈতিক জীৱন, আৰ্থ-সামাজিক অৱস্থাৰ বিবৰ্তন আৰু সাংস্কৃতিক সম্পদৰ বিষয়ে বহুত খবৰ দিছে। এইবোৰ পঢ়িলে স্থান আৰু কালৰ নানা দ্বন্দ্ব-সমন্বয়, বিৰোধ-মিলন, সংকীৰ্ণতা-সাৰ্বজনীনতা আদিৰ সংঘাতৰ মাজেদি বিকশিত অসমৰ সমাজ আৰু সংস্কৃতিৰ চিত্ৰ পাওঁহক। এই চিত্ৰই আমাক বিভেদৰ সন্ভেদ নিদিয়ে, দিয়ে মিলনৰ। সংঘাত আৰু বিচ্ছিন্নতাৰ কাহিনীৰো আমি সম্মুখীন হওঁ, কিন্তু তাৰ লগে লগে পাওঁ সমন্বয় আৰু একতাৰ সংবাদ। বৰ্তমান যুগৰ সাংস্কৃতিক আৰু ভৌতিক সাধনাৰ বাবে ইতিহাসৰ সম্যক প্ৰেৰণা লাভ কৰিবলৈ আমি তাক নকৈ পঢ়ি চোৱাৰ সময় আহিছে। ইতিহাস পঢ়িলে একোটা জাতিৰ সমাজ আৰু সংস্কৃতিৰ ৰূপতকৈ সেইবোৰৰ মাজেদি প্ৰকাশ পোৱা মানুহৰ সাৰ্বজনীন মূৰ্তিৰ ছবিখনতহে বেছি চকু পৰে। শোষণ, দাসত্ব আৰু অসাম্যৰ ঠাইত ন্যায়, মুক্তি আৰু সাম্য প্ৰতিষ্ঠাৰ কাহিনীত এই মূৰ্তিৰ বাহিৰটো প্ৰকাশ পায়, কিন্তু সমাজৰ প্ৰাণৰ সৌন্দৰ্য তেতিয়াহে প্ৰকাশ পায়, যেতিয়া উক্ত ধাৰণাবোৰ মানুহৰ দৈনন্দিন জীৱনত প্ৰতি ফলিত হয়। প্ৰকৃত ইতিহাসে এই মনুষ্য মূৰ্তি অনুসন্ধান কৰে। কাজেই বৰ্তমান অসমৰ বিভিন্ন ধৰণৰ প্ৰজাতিমূলক চেতনাৰ মূল্যও এই মানবীয় সাধনাৰ দৃষ্টিভংগীৰেহে ইতিহাসে বিচাৰ কৰিব। আমাৰ জাতীয় চেতনাকো এনে এটা সাধনাই প্ৰেৰণা যোগায়। প্ৰজাতীয় চেতনা আৰু জাতীয় চেতনাৰ সমন্বয় সাধনৰ যোগসূত্ৰও এই সাধনা। প্ৰজাতীয়, ধৰ্মীয়, আৰু সাংস্কৃতিক চেতনাবোৰ যেতিয়া ক্ষুদ্ৰ আৰু সংকীৰ্ণ হয়, তেতিয়া মানুহে ইতিহাসৰ আঁত হেৰুৱাই ওভোটা ফালে গতি কৰে। স্থিৰ আৰু স্থিতিশীল ধাৰণাই জীৱনকো প্ৰতাৰণা কৰে আৰু মানুহৰ লগত মানুহৰ কেতিয়াবা অকাৰণ বিৰোধ বঢ়াই তোলে।

সেইবাবে প্ৰজাতীয় মন, জাতীয় মন, ৰাষ্ট্ৰীয় মন আৰু বিশ্ব মনৰ মাজত প্ৰকৃত দৃষ্টিভংগীৰে সমন্বয় সাধন কৰিব পৰাতেই ইতিহাসৰ সাৰ্থকতা। ইতিহাসক আমি এই মানদণ্ডেৰেই বিচাৰ কৰিব লাগিব। ইতিহাসক জাতি গঠনৰ আধ্যাত্মিক আহিলা বুলি গণ্য কৰিলেই নহ'ব, ই বিশ্ব মানৱ আৰু বিশ্বমন গঢ়াৰো আহিলা। ইতিহাস কেৱল তথ্য নহয় ইতিহাস প্ৰমূল্যও।

ইতিহাস গঢ়াৰ অৰ্থ কেৱল শাসকৰ সলনি বা ৰূপৰ সলনি নহয়, প্ৰমূল্য সৃষ্টি কৰাও। আমাৰ আধুনিকতাৰ সাধনাৰ সকলো দিশৰ কথা ইয়াত আলোচনা কৰিব নোৱাৰি, কিন্তু অকল অসমীয়া ভাষাৰ আধুনিকীকৰণৰ মাজতে সেই সাধনাৰ প্ৰতীক আমি বিচাৰি পাওঁ। এই আধুনিকীকৰণৰ লক্ষ্য হ'ল অসমীয়া ভাষাক এটা বিশ্বই ভাষাত পৰিণত কৰা। বিভিন্ন ক্ষেত্ৰত ইয়াৰ প্ৰয়োগ ঘটাত ইয়াৰ শব্দাবলী বৃদ্ধি পাইছে, বাক্য-ৰীতিত পৰিবৰ্তন ঘটিছে, বিভিন্ন উপভাষা আৰু সংমিশ্ৰিত কথিত ভাষাৰ লগত যোগসূত্ৰ ৰক্ষা কৰিও ই মানবিশিষ্ট সাহিত্যিক ভাষাত পৰিণত হৈছে, আৰু লাহে লাহে ই সমাজৰ ন ন শ্ৰেণীৰ ৰাজহুৱা যোগাযোগ আৰু পিছপৰা শ্ৰেণীবোৰৰো সাহিত্য সৃষ্টিৰ বাহন হ'বলৈ ধৰিছে। সন্দেহ নাই যে ই এদিন আমাৰ কনুৱা আৰু খেতিয়কসকলৰ সাহিত্যিক আত্মপ্ৰকাশৰো বাহন হ'ব আৰু তেওঁলোকৰ মানসিকতা সুন্দৰ ৰূপত তুলি ধৰিব। ইতিমধ্যে ই শিক্ষিত শ্ৰেণীৰ গুণী কবিসকলৰ দ্বাৰা ৰচিত আধুনিক কবিতাৰো বাহন হৈছে, আৰু আন পিনে কথিত ভাষাৰ ওচৰ চাপি খেতিয়ক আৰু কনুৱাসকলৰ আত্মপ্ৰকাশৰ আহিলা ল'বলৈ আগবাঢ়ি গৈছে। এপিনে ই বিজ্ঞানৰ আৰু সূক্ষ্মচিন্তাৰ বাহন ৰূপে যথাৰ্থ অৰ্থ প্ৰকাশ কৰা (অভিধা) শব্দৰ দ্বাৰা গঠিত গদ্য ৰচনাৰ অধিকাৰী হৈছে, আৰু আনহাতে অভিধাতিৰিক্ত ব্যঞ্জনা আৰু সংকেত সম্বলিত শব্দৰ দ্বাৰা ৰচিত আভাসত সামগ্ৰিক বাস্তৱতা প্ৰকাশিত কৰা আধুনিক কবিতাৰ ৰূপ লৈছে। এই দুয়োটা স্তৰৰ

মাজত অসমীয়া ভাষাৰ কিছুমান মাধ্যমিক ৰূপ দেখা যায়। সংবাদপত্ৰৰ ভাষা, ৰেডিঅ' দূৰদৰ্শনত ব্যৱহৃত কথিত ভাষা, প্ৰশাসনৰ ভাষা, ন্যায়ালয়ৰ ভাষা, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ভাষা—এইবোৰ অসমীয়া ভাষাৰ বিভিন্ন ব্যৱহাৰিক ৰূপ। দ্ৰুতলেখন, মুদ্ৰালেখন আৰু দূৰলেখন আদি যান্ত্ৰিক লেখনৰ বাবে বৰ্ণসংখ্যাৰ হ্ৰাস আৰু বানানৰ মানদণ্ডৰ প্ৰয়োজন হৈ পৰিছে। ব্যৱহাৰিক ভাষা লেখাৰ মানদণ্ড, ষ্টাইল আৰু পৰিভাষাৰ সমস্যাবোৰ ফঁহিয়াই আলোচনা কৰা হোৱা নাই। এই ভাষা কথিত আৰু দৈনন্দিন ব্যৱহাৰৰ ভাষাৰ অনুৰূপ হ'ব লাগে। অসমীয়া ভাষাৰ ব্যৱহাৰ যিমানে বাঢ়ি আহিছে, সিমানে ভাল আধুনিক ব্যাকৰণ, আধুনিক অভিধান, পৰ্যায়কোষ, পাৰিভাষিক অভিধান আৰু বিশ্ব-কোষ আদিৰ প্ৰয়োজন মানুহে অনুভৱ কৰিছে। এইবিলাক অভাৱ পূৰণৰ বাবে বিশেষ চেষ্টাৰ আৱশ্যক।

সামগ্ৰিক দৃষ্টিৰে চালে অসমৰ আনবোৰ ভাষাৰ তুলনাত অসমীয়া ভাষা জাতিটোৰ সামগ্ৰিক অভিজ্ঞতা প্ৰকাশৰ বাহন ৰূপে আগবঢ়া। কিন্তু ভাল আধুনিক ভাষা হ'বৰ বাবে এই ভাষাত বিভিন্ন বিষয়ৰ যিমান মৌলিক গ্ৰন্থ লাগে, সিমান গ্ৰন্থ আছে বুলি ক'ব নোৱাৰি। এই অভাৱ দূৰ কৰিবৰ বাবে আমি এটা অনুবাদৰ পৰিকল্পনা হাতত ল'ব পাৰোঁ। বিশ্ব সাহিত্য, দৰ্শন আৰু বিজ্ঞানৰ মৌলিক গ্ৰন্থসমূহ আমাৰ ভাষাত ভালদৰে অনূদিত হ'লে সেই গ্ৰন্থসমূহে আমাৰ ছাত্ৰসকলৰ উচ্চ শিক্ষাৰ প্ৰয়োজনতো পূৰণ কৰিবই, আমাৰ গৱেষক, চিন্তাবিদ, ৰসিক আৰু পাঠকসমাজৰ লাগতিয়াল আৰু মৌলিক গ্ৰন্থৰ অভাৱো পূৰণ কৰিব। ভাৰতীয় ৰাষ্ট্ৰীয় ভাষাসমূহৰ আধুনিকীকৰণ আৰু উন্নয়নৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰো আছে। তেওঁলোকে অসমীয়া জাতিৰ সাংস্কৃতিক চিন্তাৰ বিকাশ বা পৰিবৰ্দ্ধনৰ বাবে যদি সঁচাকৈয়ে আগ্ৰহী, তেন্তে পাঁচ কোটি টকাৰ এটা এককালীন অনুদান দিয়া উচিত। এনে অনুদান দিলে অসম সাহিত্য সভাৰ দৰে অনুষ্ঠানে কিতাপ বাছনি, অনুবাদ আৰু প্ৰকাশন আদিৰ কাম হাতত ল'ব পাৰিব বুলি মোৰ বিশ্বাস। জাপানৰ দ্ৰুত উন্নতিৰ এটা কাৰণ হেনো জাপানী ভাষাৰ মৌলিক আৰু অনূদিত গ্ৰন্থ-সম্ভাৰ। পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্য, দৰ্শন আৰু বিজ্ঞানৰ গ্ৰন্থৰ অনুবাদ এই ভাষাত পোৱা যায়।

কিতাপ প্ৰকাশনৰ ক্ষেত্ৰত অসম এতিয়াও পিছ পৰা। আমাৰ প্ৰাচীন পুথি, অনতীত যুগৰ অসমীয়া আধুনিক সাহিত্য পুথি, শিশু সাহিত্য, বিজ্ঞান পুথি আৰু বিবিধ প্ৰসংগ সাহিত্যৰ প্ৰকাশনৰ বেলেগ এটি সন্মিলিত পৰিকল্পনা আমাৰ সাহিত্য, বিজ্ঞান প্ৰকাশনৰ অনুষ্ঠানসমূহে গ্ৰহণ কৰিব পাৰিলে এই পুথিবোৰ প্ৰকাশ কৰিব পৰা যায়। প্ৰাচীন পুথি সম্পাদনা আৰু প্ৰকাশনৰ বাবে বিশ্ববিদ্যালয় দুখনৰো বিশেষ দায়িত্ব আছে। আগৰ বহুত অসমীয়া লেখকৰ গ্ৰন্থ আজি পাবলৈ নাই। বহুত পুৰণি পুথি ধোঁৱা চাঙত জাহ যাওঁ যাওঁ। পুৰণি আলোচনী আৰু বাতৰি কাকতসমূহৰ কিছুমান কালৰ গৰ্ভত লোপ পালে। এইবোৰত থকা লেখাবোৰো বোৰো বোধহয় পোৱা টান হ'ব। কাজেই আগৰ আধুনিক সাহিত্যৰ লেখকসকলৰ গ্ৰন্থবোৰ প্ৰকাশৰ বাবে বিশেষ ব্যৱস্থাৰ আৱশ্যক। গ্ৰন্থ বিক্ৰীৰ অৱস্থা আগতকৈ ভাল যদিও বিক্ৰীৰ সংখ্যা চাহিদা অনুসৰি বঢ়া নাই যেন লাগে। চৰকাৰৰ পুথিভঁৰাল সমূহেও অসমীয়া পুথি কিনাত অধিক তৎপৰতা দৰ্শালে ভাল হয়।

প্ৰকাশক আৰু লেখকসকলৰ সম্পৰ্ক উন্নত নহ'লে গ্ৰন্থ ৰচনা আৰু প্ৰকাশনৰ অৱস্থ্যা ভাল হোৱাৰ আশা নাই। মোৰ বোধেৰে প্ৰকাশন আৰু লেখকৰ প্ৰাপ্য সম্পৰ্কে উভয় পক্ষৰ মাজত এখন আদৰ্শ চুক্তি থকা উচিত। অসম সাহিত্য সভাই এই সম্পৰ্কে এখন আলোচনা চক্ৰৰ পৰামৰ্শ অনুসৰি সংশ্লিষ্ট সকলো পক্ষৰ প্ৰতিনিধিৰে গঠিত এখন সমিতিক প্ৰকাশক-লেখকওৰ সমস্যাটো আলোচনা কৰি সম্পৰ্ক উন্নত কৰাৰ বিষয়ে অভিমত দিবলৈ ভাৰ দিছে। আশাকৰো এই সমিতিয়ে প্ৰকাশক-লেখকৰ সম্পৰ্ক উন্নত কৰিবৰ বাবে আৱশ্যকীয় পৰামৰ্শ আগবঢ়াব। নতুন লেখকসকলৰ সমস্যা সকলো সমাজতে আছে। আমাৰ আলোচনীৰ সম্পাদক আৰু প্ৰকাশক সকলৰ নতুন লেখকৰ প্ৰতি এটি বিশেষ দায়িত্ব আছে। আৱন্তণিৰ কালছোৱাই লেখকসকলৰ বাবে সংকটৰ কাল। এই কালত তেওঁলোকে কিতাপ প্ৰকাশৰ বাবে ৰাষ্ট্ৰীয় বেংক আদিৰ পৰাও বিশেষ সাহায্য পোৱা উচিত। আৰু এবিধ লেখক আছে, যাৰ গ্ৰন্থ মূল্যবান হ'লেও প্ৰকাশন-ব্যৱস্থা আৰু শাসক শ্ৰেণীৰ মনঃপূত নহয়। এনেধৰণৰ মূল্যবান লেখা প্ৰকাশৰ বাবে সমাজত বিশেষ ব্যৱস্থা থাকিব লাগে।

অসমীয়া সাহিত্য জাতীয় সাহিত্য ঃ

অসমীয়া ভাষা জাতীয় ভাষা হোৱাৰ লক্ষণ অসমীয়া সাহিত্যতো প্ৰকাশ পাইছে। বিভিন্ন সামাজিক গোটৰ লেখকসকলে সাৰ্বজনিক দৃষ্টিৰে বৰ্ণনামূলক গদ্য, কবিতা আৰু কাহিনী সাহিত্য ৰচনা কৰিছে। বিবিলাক গোটৰপৰা লেখক এতিয়াও ওলোৱা

নাই, সেই সকলৰ মাজতো লেখাৰ আগ্ৰহ দেখা গৈছে। ন ন সামাজিক স্তৰৰ পৰা অহা লেখকসকলে ন ন মানসিকতা সাহিত্যলৈ আনিছে। বৰ্তমান সমাজ-ব্যৱস্থাত সৰহ ভাগ মানুহেই হয় নিৰক্ষৰ নহয় সাহিত্য ৰচনাৰ পৰিৱেশিক সুবিধাৰ পৰা বঞ্চিত। কিন্তু এনে এদিন আহিব যিদিনা আমাৰ সমাজত কোনো নিৰক্ষৰ নাথাকিব আৰু বঞ্চিত লোকসকলে সাহিত্য চৰ্চা বা ৰচনাৰ সুযোগ পাব। এই নিৰৱ সাংস্কৃতিক ক্ৰান্তি যেতিয়া হ'ব, তেতিয়া অসমীয়া সাহিত্য প্ৰকৃত অৰ্থত জাতীয় সাহিত্যত পৰিণত হ'ব। আধুনিক সাহিত্যৰ ঐতিহ্য আয়ত্ব কৰিবৰ বাবে হ'ব খোজা লেখকসকলক উৎসাহ দান কৰিবলৈ আৰু দৰকাৰ হ'লে লেখক শিবিৰ পাতি তেওঁলোকৰ ৰচনাৰ সমস্যা আলোচনা কৰিবলৈ অসম সাহিত্য সভা বা তেনে ধৰণৰ অনুষ্ঠান সততে সাজু থাকিব লাগিব। এটা কথা এইখিনিতে উল্লেখ কৰিব লাগিব। জনজাতীয় ভাষাৰ সাহিত্য সভাবোৰে জনজাতীয় ভাষাসমূহত সাহিত্য সৃষ্টিৰ পৰিৱেশ ৰচনা কৰিবৰ বাবে চেষ্টা কৰিছে। এই কাৰ্যত আমি পাৰ্যমানে আৰু নীতিসন্মতভাৱে সহযোগিতা আগবঢ়াম। আমাৰ যিবিলাক উমৈহতীয়া সমস্যা আছে, সেইবোৰ আলোচনাৰ যোগেদি সমাধান কৰা ভাল হ'ব। সাৰ্বজনিক প্ৰমূল্য আৰু জীৱনৰ গভীৰ অভিজ্ঞতাৰ ভেটিতহে ভাল সাহিত্য ৰচনা কৰা সম্ভৱপৰ। সাহিত্য গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা আৰু পাঠক সমাজ তৈয়াৰ আদি সাহিত্যৰ পৰিৱেশ ৰচনাৰ উল্লেখযোগ্য কাম। জনজাতীয় ভাষাৰ সাহিত্যৰ পাঠকৰ সংখ্যা স্বাভাৱিকতে কম হ'ব। ঐতিহাসিক অভিজ্ঞতাই দৰ্শায় যে জনজাতীয় লেখকসকলে নিজ ভাষাত লিখাৰ উপৰিও অসমীয়া ভাষাত লিখিলে এখন বহল পাঠক সমাজ পায়। এই সত্য অসমৰ আন আন ভাষাবোৰৰ ক্ষেত্ৰতো খাটে। সাহিত্য ৰাজনীতি নহয়, ৰাজনীতিজ্ঞই বা ৰাষ্ট্ৰই নিৰ্দেশ দি সাহিত্য ৰচনা কৰোৱাব নোৱাৰে। তাৰ বাবে লাগে স্বাধীনতা আৰু পৰিৱেশ। লেখকৰ স্বাধীনতা আৰু পৰিৱেশ ৰক্ষাৰ বাবে সকলো ভাষাৰ লেখকে একেলগে সংগ্ৰাম কৰাটো এটা ঐতিহ্যৰ দৰে। এই ঐতিহ্য ৰক্ষাৰ বাবে সকলো ভাষাৰ লেখক একেলগে থিয় দিব লাগিব। সাহিত্য হেনো মানৱাত্মাৰ জয় যাত্ৰাৰ কাহিনী আৰু মিলনৰ সেতু। যদি সেয়ে হয়, সম্প্ৰীতি আৰু সমন্বয় ৰক্ষাত লেখকসকলে আগ ভাগ লোৱা উচিত।

সংস্কৃতি বুলিলে জীৱন যাত্ৰা পদ্ধতিও বুজায় আৰু সুকমাৰ কলাসমূহকো বুজায়। আধুনিকীকৰণ আৰু নগৰীকৰণৰ লগে লগে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সামন্ত যুগীয় জীৱন-যাত্ৰা পদ্ধতিৰ পৰিবৰ্তন ঘটিছে আৰু এক অৰ্থনৈতিক জীৱনৰ মেৰঘৰত থাকিবলৈ বাধ্য হৈ তেওঁলোকে এক জীৱন যাত্ৰা পদ্ধতি গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে। নানা সামাজিক ভেদ থকা স্বত্বেও, বিভিন্ন সামাজিক গোটবোৰ এক জাতীয় জীৱন যাত্ৰা পদ্ধতিৰ অংশীদাৰ হ'বলৈ আৰম্ভ কৰিছে। এই কথা আমি পাহৰা উচিত নহয়। এই বিষয়টো বিস্তৃতভাৱে ইয়াত আলোচনা নকৰো, কিয়নো বিষয়টোৰ কথা কম বেছি পৰিমাণে সকলো ৰাইজেই জানে। সংস্কৃতিৰ আনটো সংজ্ঞা হ'ল সুকুমাৰ কলা। সুকুমাৰ কলাসমূহ সাহিত্যৰ দৰেই জাতিৰ সৃষ্টি শক্তিৰ সাক্ষ্য। এই কলাসমূহ সাহিত্যৰ সহচৰ আৰু স্থলবিশেষে ৰচনাৰো প্ৰেৰণা হয়। কলাসমূহৰ মাজত আদান-প্ৰদানো ঘটে। কলাৰ শিক্ষা, কলা বস্তুৰ সংৰক্ষণ, কলা চৰ্চা আদিৰ ক্ষেত্ৰত আমাৰ ৰাজ্য পিছ পৰি আছে। বিশ্ববিদ্যালয়ত কলা বিভাগ খোলাৰ প্ৰয়োজনীয়তাৰ কথা আগতেঠই কৈ আহিছো। কিন্তু কলাৰ বহুমুখী জাতীয় সংগ্ৰহালয় এটাৰ প্ৰয়োজন সৰ্বাধিক। বৰ্তমানৰ অসম সংগ্ৰহালয়টো সৰু আৰু বহুমুখী নহয়। এটা বহুমুখী জাতীয় সংগ্ৰহালয় হ'লে নিজৰ ৰাজ্যৰ বিভিন্ন কালৰ চিত্ৰ-ভাস্কৰ্য আদিৰ স্থায়ী প্ৰদৰ্শনীৰ সুবিধা হ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ লোক সংস্কৃতি আৰু মানুহৰ ইতিহাস দৰ্শাবৰ বাবে 'এখন'-গ্ৰাফিক মিউজিয়ামৰো প্ৰয়োজন। অসম বিজ্ঞান সমাজে বিজ্ঞানৰ সংগ্ৰহালয় পতাৰ কথাও চিন্তা কৰিছে। সংগ্ৰহালয় জন শিক্ষা আৰু আত্ম শিক্ষাৰ কেন্দ্ৰ। আমাৰ ৰাজ্য আৰু অঞ্চলত এই বিষয়ে আৱশ্যকীয় চেতনা নোহোৱাটো পৰিতাপৰ বিষয়।

আন আন কেইটামান সাংস্কৃতিক অনুষ্ঠানৰ অভাৱো আমি অনুভৱ কৰি আহিছো। এই অনুষ্ঠানবোৰ হ'ল ঃ ১) এটা প্ৰকৃত জাতীয় পুথিভৰাল; ২) এটা জাতীয় ৰংগমঞ্চ; ৩) বহুমুখী কলা ভৱন সহ এটি সুপৰিকল্পিত আৰ্ট গেলেৰী; আৰু ৪) ভাষা-সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰীয় বিদ্যা সদন। এইবিলাক দাবী বহুত দিনৰেপৰা তুলি অহা হৈছে, কিন্তু কাম হোৱা নাই। সুখৰ বিষয় যে অসম সাহিত্য সভাই ভাষা-সাহিত্য-সংস্কৃতিৰ এটা কেন্দ্ৰীয় বিদ্যা সদনৰ কাম আৰম্ভ কৰিছে। চৰকাৰে সম্পূৰ্ণ অযুক্তিকৰ ৰাজনৈতিক কাৰণত সাহিত্য সভাৰ অনুদান বন্ধ কৰি থৈছে। ইয়াৰ ফলত গুৰুত্বপূৰ্ণ সাংস্কৃতিক কাম-কাজ বন্ধ কৰিব লগাত পৰিছে। শিশু বিশ্ব কোষ প্ৰকাশ সাহিত্য সভাৰ বিভিধ গ্ৰন্থ প্ৰকাশ আদিৰ কাম বন্ধ ৰাখিব লগা হোৱাটো পৰিতাপৰ বিষয় হৈ পৰিছে। কেন্দ্ৰীয় বিদ্যা সদনৰ লগতে আন এটা কামৰ কথাও মনত পৰিছে। গাঁৱে-ভূঞে থকা পুৰণি পুথি,

ফলি, সাংস্কৃতিক সম্পদ সংগ্রহৰ কাম খৰধৰ নকৰিলে এইবোৰ কালৰ বুকুত জাহ যোৱাৰ সম্ভাৱনা। পুৰণি পুথি, ফলি আদিৰ সংৰক্ষণ আৰু গৱেষণাৰ বাবে আমাৰ পূৰ্বপুৰুষসকলে কামৰূপ অনুসন্ধান সমিতি আৰু অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ সংগঠন কৰি থৈ গৈছে। এই দুটাক সজীৱ কৰি তুলিব নোৱাৰিলে আমাৰ নিজৰে অনিষ্ট হ'ব। অসমত আশাশুধীয়া সাংস্কৃতিক কৰ্মীৰ অভাৱ হৈছে অসম চৰকাৰ আৰু বিধান সভাই সাংস্কৃতিক উন্নয়নৰ ভাল নীতি আজিকোপতি গ্ৰহণ কৰিব পৰা নাই। মানুহৰ পেটৰ ভোকৰ লগে লগে মনৰ ভোকো আছে। প্ৰকৃত উন্নয়নৰ বাবে মনৰ ভোক পূৰণৰ কথাও ভাবিব লাগিব।

সত্ৰীয়া নৃত্য, কেন্দ্ৰীয় সংগীত নাটক একাডেমীয়ে স্বীকৃতি দিছে, কিন্তু আমি এই নৃত্যৰ এটা ভাল কেন্দ্ৰ আজি পৰ্যন্ত স্থাপন কৰিব পৰা নাই আৰু মণিপুৰীসকলৰ দৰে নিপুণ শিল্পী উলিয়াই বিশ্বৰ আধুনিক ৰংগ মঞ্চত থিয় কৰাব পৰা নাই।

সুকুমাৰ কলা ঃ

দেওধনী, দেৱদাসী আদি নৃত্যকো আমি বিকাশৰ সুযোগ দিব পৰা নাই। অসমৰ ঢুলীয়া শিল্প, শাস্ত্ৰীয় সংগীত, লোক নৃত্য, ৰঙ্গীত, লোকগীত আৰু বিভিন্ন চাৰু আৰু কাৰু কলাৰ পুনৰ জীৱনৰ বাবেও আমাৰ কোনো সুচিন্তিত পৰিকল্পনা নাই। গাঁৱলীয়া কলাবোৰ হয় মৃত প্ৰায় নহয় লুপ্ত হোৱাৰ পথত। কলাৰ অনুষ্ঠানবোৰৰ মাজতো সংহতিৰ অভাৱ, আৰু চৰকাৰে একাডেমি পতা ললিত কলা একাডেমি আৰু সংগীত নাটক একাডেমি মৰিশালীত। আমাৰ আধুনিক, শাস্ত্ৰীয় আৰু লোক শিল্পীসকলক সৃষ্টিৰ পৰিৱেশ আৰু সুযোগ দিবৰ বাবে ৰজা আৰু প্ৰজাই যদি গা লাগি কাম নকৰে তেন্তে আমাৰ বাইজৰ সৃষ্টি স্পৃহা শুকাই যাব আৰু সাংস্কৃতিক ৰুচি নেবাঢ়ে। বিশ্ব সংগীতৰ নন্দনতাত্ত্বিক প্ৰমূল্যৰ প্ৰতি আমি চকু দিবলৈ এৰি দিছো। কাহিলীপাৰাত চিত্ৰবন হ'ল, কিন্তু চিত্ৰবনক আমাৰ জীৱনৰ উপযোগী অথচ কলাসম্মত চলচ্চিত্ৰ নিৰ্মাণৰ কেন্দ্ৰস্থল কৰিবলৈ যত্ন কৰা নহ'ল। আধুনিক গীতৰ বিকাশ ঘটিছে, কিন্তু এই ক্ষেত্ৰতো মুকুতা আৰু শোকোতা একেলগে পোৱা যায়। আমাৰ অসমখনকেই জাতীয় সংগ্ৰহালয় বুলি ভাবিবৰ মন যায়। কিন্তু আমাৰ বামুণীপাহাৰৰ ধ্বংসাৱশেষ, দ পৰ্বতীয়াৰ তোৰণ-দ্বাৰ, নুমলী পাহাৰৰ ধ্বংসাৱশেষ, ৰংঘৰ-কাৰেংঘৰ-তলাতল ঘৰ, শ্ৰীসূৰ্য্য পাহাৰৰ সম্পদসমূহৰ কি অৱস্থা! চিন্তা কৰিলে চকুপানী ওলায়।

সাংবাদিকতা ঃ

অসমীয়া সংবাদপত্ৰ আৰু ৰেডিও আদিয়ে এই সাংস্কৃতিক দুৰৱস্থাৰ কথা মনত ৰাখি কলাবিলাকৰ উন্নতি আৰু বিকাশৰ বাবে অনুসন্ধানমূলক ৰিপৰ্ট, সজ আলোচনা আৰু চিন্তাশীল পৰামৰ্শ আগবঢ়োৱাৰ দিহা কৰিলে ভাল হয়। আমাৰ সংবাদপত্ৰৰ সংখ্যা বাঢ়িছে, কিন্তু সাংবাদিকতাত এটা আদৰ্শগত খেলিমেলিয়ে দেখা দিছে। অসমৰ জাতীয় জীৱন আৰু সাহিত্য-কলাৰ প্ৰকৃত পৰিৱেশ গঢ়াটো সাংবাদিকতাৰ এটা লক্ষ্য হ'ব লাগে। সাংবাদিকতা জীৱনৰ সকলো ক্ষেত্ৰলৈকে সম্প্ৰসাৰিত হ'ব লাগে। কেৱল ব্যৱসায়, ৰাজনৈতিক প্ৰচাৰ-কাৰ্য আৰু নেতিবাচকতাৰ দৃষ্টিৰে সাংবাদিকতা পৰিচালিত হ'লে সি জাতীয় উন্নতিৰ সহায়ক নহয়। উত্তেজনাকৰ সংবাদেও উন্নয়নৰ মনোভাৱ নষ্ট কৰে। আধুনিক সাংবাদিকতাৰ যিটো কু ফাল তাৰ পৰা আমাৰ সংবাদপত্ৰসমূহ আঁতৰি অহা ভাল। সংবাদ পৰিৱেশনৰ ক্ষেত্ৰত একপক্ষীয় প্ৰচাৰ কাৰ্য কৰি ৰেডিও অনুষ্ঠানটো সাংবাদিকতাৰ আদৰ্শৰ পৰা স্খলিত হোৱা দেখা গৈছে। আদৰ্শগত দিশটোও অচল-অটল হৈ থাকি সাংবাদিকতা পৰিচালনা কৰিলে, সি স্বাভাৱিকতে সাংস্কৃতিক উন্নয়নৰ দায়িত্বও গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ব।

ন্যাস পুঁজি ঃ আমাৰ অসমত আশাশুধীয়া আৰু সৰ্বক্ষণ সাংস্কৃতিক কৰ্মীৰ অভাৱ। ১৯২৪ চনতে এই সভাৰ সভাপতি ৰূপে লক্ষ্মীনাথ বেজবৰুৱাই আমাক "এদল নিস্বাৰ্থ সাহিত্যৰসেৱী, পৰোপকাৰী আৰু স্বদেশপ্ৰিয়" মানুহ উলিয়াবলৈ উপদেশ দিছিল। "সাহিত্যসেৱী" শব্দটোৱে আন আন কলাৰ সেৱকসকলকো সামৰে বুলি ধৰি ল'লে, এই উপদেশটি আজিৰ কালতো সম্পূৰ্ণ প্ৰযোজ্য বুলি মোৰ ধাৰণা। অসম সাহিত্য সভাৰ সেৱাৰ ক্ষমতা বঢ়াবৰ বাবে এনে এদল সেৱকৰ প্ৰয়োজন। সাহিত্য সভাৰ হাতত কিতাপ প্ৰকাশনৰ পৰা আৰম্ভ কৰি সমন্বয় সংহতিৰ কাম কৰালৈকে বিবিধ সাংস্কৃতিক উন্নয়নৰ কাৰ্যসূচী আছে। তাৰ কাৰণে আৰু সৰ্বক্ষণ সেৱকৰ দল এটাক ভৰণ-পোষণ দিবৰ বাবে এটা শকত পুঁজিৰ আৱশ্যক। সাহিত্য সভাই ইতিমধ্যে এককোটি টকাৰ পুঁজি তুলিবলৈ সংকল্প লৈছে। বাইজে নখ জোকাৰিলে নৈ বয়। সাহিত্য শিল্পৰ আন্তৰিক স্বাধীনতা ৰক্ষা কৰিবলৈকো সাহিত্য সভা স্বাৱলম্বী হোৱা আৱশ্যক। মই আশা কৰো সাহিত্য সভাৰ সদস্যসকলে এই পুঁজি তুলিবলৈ প্ৰকৃত

স্বদেশ-প্রেমৰ আদর্শেৰে কাম কৰিব আৰু অসমৰ প্রত্যেক ব্যক্তি আৰু সংঘই যথাসাধ্য বৰঙণি আগবঢ়াব। সাহিত্য সভা চৰকাৰৰ অনুদানৰ পৰা বঞ্চিত হৈ আছে, আৰু বিবিধ আহুকালৰ লগতে অর্থনৈতিক সংকটৰো সম্মুখীন হৈছে। এনে সময়ত এনে এটা পুঁজিৰ বিশেষ প্রয়োজন।

অসমত বিদেশী নাগৰিক সম্পর্কীয় আন্দোলন আজি চাৰি বছৰ ধৰি চলি আছে, আৰু এতিয়াও তাৰ মীমাংসা হোৱা নাই। অসমলৈ যোৱা শতিকাত হোৱা প্রব্রজন পৃথিৱীৰ ভিতৰতে এটা বৃহৎ প্রব্রজন। এই প্রব্রজন নিয়ন্ত্রণ কৰিবলৈ আগতে চৰকাৰে একো কঠোৰ ব্যৱস্থা লোৱা নাই, আৰু আজিও লৈছে বুলি দাঠি ক'ব নোৱাৰি। স্বাধীনতাৰ পিছত অহা বিদেশী নাগৰিকৰ সংখ্যাও যথেষ্টপ্রবল। এই বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰাৰ আগ্রহতকৈ চৰকাৰে আন্দোলনটো দমন কৰাৰ আগ্রহহে বেছি দর্শাইছে।। কথা-বতৰাবোৰৰ তুলনাত নির্যাতন, দমন, গুলীচালনা আদিৰ আধিক্যই তাকেই সূচায়। বিধি, বিধিগত গণতন্ত্র আৰু ক্ষমতা ৰক্ষাৰ উদ্দেশ্যে যিবিলাক ৰাষ্ট্রীয় হিংসাৰ ব্যৱস্থা লোৱা হৈছে; সেই ব্যৱস্থাবোৰৰ ফলত যথেষ্ট মানুহ মৰিল, বহুত ঘুণীয়া হ'ল আৰু বহুতে বিবিধ নির্যাতন ভোগ কৰিলে।

বিদেশী নাগৰিক সম্পর্কীয় আন্দোলন ঃ

যোৱা ফেব্রুৱাৰী মাহৰ নির্বাচনটো অপৰিহার্য আছিল বুলি দিয়া যুক্তিটোও ৰীতিগত, তাত আচল গণতান্ত্রিক মর্ম আৰু মানৱতাবোধৰ নৈতিক যুক্তিৰ অভাৱ আছিল। নির্বাচনৰ কালছোৱাত মুক্ত ভোটদানৰ পৰিবেশ নাছিল আৰু ভোটৰ তালিকাও অশুদ্ধ আছিল! এই কালছোৱাত যিবোৰ ভয়ানক গণহিংসাৰ ঘটনা ঘটিল, সেইবোৰ হোৱাৰ ঘাই কাৰণ আইন-শৃংখলাৰ বিলুপ্তি। এই আইন-শৃংখলা বিলুপ্তিৰ সুযোগ ল'লে সাম্প্রদায়িক, উগ্র ভাষাবাদী আৰু উগ্র ধর্মবাদী আৰু উগ্র জাতীয়তাবাদী শক্তিবোৰে। এই নৃশংস হত্যা আৰু লুটপাটবোৰৰ মাজেদি প্রকাশ পাইছিল—ভাষা, ধর্ম, সাহিত্য আৰু সংস্কৃতি আদিৰ সৈতে সংযুক্ত সকলো প্রমূল্যৰ সমাপ্তি। এই গণ হিংসাৰ পিছত যিবোৰ অশুভ শক্তি আছিল, সেইবোৰ অবিবেকী আৰু সকলো মূল্যবোধৰ প্রতি উদাসীন। নির্দোষীক হত্যা কৰি যিসকলে লক্ষ্য পূৰণ কৰিব খোজে তেওঁলোকে উপায়ৰ সম্পর্কততো কোনো নৈতিকতাৰ বান্ধোন মানিব নোখোজেই, লক্ষ্যৰ বেলিকাও বিভ্রান্ত অথবা অন্ধ। জীৱন যদি আমি দিব নোৱাৰো, জীৱন লোৱাৰ অধিকাৰো আমাৰ নাই।

যোৱা চাৰি বছৰত হোৱা ৰাষ্ট্রীয় হিংসাৰ আৰু গণ-হিংসাৰ যুক্তি একে ঃ নিজ নিজ লক্ষ্য পূৰণৰ বাবে শান্তিপূর্ণ পন্থা এৰি দানবীয় হিংসাৰ পথ গ্রহণ কৰা। পংকা আৰু নেলীৰ বা ছমৰীয়াৰ মই একো প্রভেদ দেখা নাই। দানৱতাৰ বলি নির্দোষী লোকসকলৰ বাবে চকুলো টুকিলেই আমি ক্ষান্ত থকা উচিত নহ'ব। হিংসাৰ পথ বিসর্জন দি আমি অন্তৰ আৰু বাহিৰত মানবীয় আৰু সাংস্কৃতিক প্রমূল্যসমূহত পুনৰ আস্থা স্থাপন কৰি শান্তিপূর্ণ উপায়েৰে বিদেশী সমস্যাৰ মীমাংসা কৰিবলৈ আগবাঢ়ি অহা উচিত। লগে লগে ভগনীয়াসকলৰ দৈহিক আৰু মানসিক পুনৰ সংস্থাপনৰ বাবে সাংস্কৃতিক প্রচেষ্টা চলাবৰ বাবেও আমি মন বান্ধিব লাগিব, যাতে ভৱিষ্যতে কেতিয়াও এনেবোৰ ঘটনা ঘটিব নোৱাৰে।

ৰাষ্ট্রীয় হিংসা ঃ

এই কাম কৰিবলৈ হ'লে আমি প্রত্যেকেই অনুতাপ কৰিব লাগিব। সমাজৰ হিংসা নিয়ন্ত্রণ কৰিবলৈ হ'লে প্রথমতে সমাজৰ ঘাই অংগ ৰাষ্ট্রই নিজৰ হিংসা কার্য নিজে নিয়ন্ত্রিত কৰিব লাগিব। ভাৰতীয় ৰাষ্ট্রৰ নিজৰ হিংসা কার্য নিজে নিয়ন্ত্রিত কৰিব লাগিব। ভাৰতীয় ৰাষ্ট্রৰ আদর্শ কালিদাসে সুন্দৰভাবে ব্যাখ্যা কৰি গৈছে। তেওঁ কৈছিল, "আর্তত্রানায় বঃ শস্ত্রম্ ন প্রহর্তুম্ অনাগসি।" আর্তক ত্রাণ কৰিবলৈহে অস্ত্রৰ প্রয়োজন, নিমাখিতক আঘাত কৰিবলৈ নহয়। মোৰ দৃঢ় বিশ্বাস ন্যায়িক আৰু নিৰপেক্ষ বিচাৰত চৰকাৰে কৰা সৰহভাগ হিংসাৰ কার্যকে সৎ বুলি প্রতিপন্ন কৰা টান হ'ব। ৰাষ্ট্রৰ বাবে মানুহ, বা ৰাষ্ট্রই যি কৰে সেয়ে সঁচা এনে ভাৰৰ পৰিণাম হ'ব সর্বগ্রাসী ৰাষ্ট্রৰ জন্ম। এনে ৰাষ্ট্রৰ আদর্শ হ'ল ৰাষ্ট্রই মানুহৰ ভৱিষ্যতৰ কল্পিত ভালৰ বাবে বর্তমানৰ মানুহৰ জীৱনো শই শই বলি ল'ব পাৰে। এনে দর্শনে ফেচীবাদৰ সূচনা কৰিব বা কৰিছে।

সন্ত্রাস বা গণহিংসা উপায় ৰূপেও লক্ষ্য সাধনৰ সহায়ক নহয়। এনেবোৰ কামে সন্দেহ আৰু ভয়ৰ বাতাবৰণ সৃষ্টি কৰি মানবীয় সম্পর্ক ৰক্ষা আৰু সংলাপৰ প্রতিকূল অবস্থাৰ জন্ম দিয়ে, আৰু লক্ষ্য আৰু সমস্যা সম্পর্কে বিভিন্ন পথৰ মাজত মত বিনিময় অসম্ভৱ কৰি তোলে। এইবোৰ কামৰ পৃষ্ঠপোষক সকল দূৰদর্শী বুলি ক'ব নোৱাৰি। অন্যায় উপায় গ্রহণ কৰি কোনো

লক্ষ্য সাধন কৰিব লগা হ'লে, সেই লক্ষ্যটোকে ন্যায় সংগত বুলিব নোৱাৰি। এই কথা মার্ক্সে কৈছিল। ধর্মৰ নামত যিবোৰে মানুহ মাৰে বা লুটপাট কৰে, সেই মানুহৰ ধর্ম হ'ল আসুৰিক ৰাজনীতি। ভাষা, প্ৰজাতি, মাটি আৰু ভোটৰ নামত হিংসা কৰা লোকসকলো আসুৰি ৰাজনীতিৰ সেৱক। এই ধৰণৰ ভয়ানক আৰু মূল্যহীন ৰাজনীতিয়ে জাতীয় চৈতন্য আৰু সাহিত্য সংস্কৃতিৰ পৰিবেশ নষ্ট কৰি জাতীয় জীৱনত ঘৃণা আৰু সন্দেহৰ মনোভাৰ সৃষ্টি কৰে। এনে হিংসা কাৰ্যৰ প্ৰতিক্ৰিয়া স্বৰূপে চৰকাৰী হিংসা বৃদ্ধি পায়। চৰকাৰী হিংসাই আকৌ গণ-হিংসাক ইন্ধন যোগায়। এই দুষ্ট চক্ৰৰ ভিতৰত কোনো সোমোৱা উচিত নহয়।

অসমত নাগৰিক স্বাধীনতাৰ বিলুপ্তি আৰু চৰকাৰে চলাই থকা পুলিচী অত্যাচাৰে জনসাধাৰণৰ অসন্তুষ্টি আৰু ক্ষত্ৰিয় স্বভাৱ যে জাগ্ৰত কৰিছে, এই কথা অস্বীকাৰ কৰিবৰ উপায় নাই। অসন্তুষ্টি প্ৰকাশৰ বাবে গণতন্ত্ৰত যিবোৰ ৰূপ স্বীকৃত, সেইবোৰ বন্ধ কৰাটোও খং তোলাৰ এটা কাৰণ। এনে পৰিস্থিতিতো শান্তিপূৰ্ণ প্ৰতিকাৰৰ কথা ভাবিব পৰাটোহে পৈণত ৰাজনীতিৰ লক্ষণ। গান্ধীজীয়ে আমাক এনে অৱস্থাতো নীৰৱে জনশক্তি জাগ্ৰত কৰি শান্তিপূৰ্ণ পন্থা অৱলম্বন কৰিবলৈ উপদেশ দিছিল। ইয়াৰ কাৰণ সংলাপ আৰু বুজাবুজিৰ দ্বাৰা হোৱা মীমাংসা স্থায়ী হয়। সুখৰ বিষয় যে আন্দোলনকাৰী নেতাসকলে শান্তিপূৰ্ণ পন্থাত আস্থা প্ৰকাশ কৰিছে, আন্দোলন সাময়িকভাৱে স্থগিত ৰাখি শান্তি-সম্প্ৰীতি আৰু সমন্বয় স্থাপনৰ কাম হাতত লৈছে। চৰকাৰেও এতিয়া তেওঁলোক যে প্ৰকৃত পক্ষে এটা স্থায়ী শান্তি স্থাপনৰ বাবে আগ্ৰহী তাৰ প্ৰমাণ দিয়ক। এনে কৰিলে কথা-বতৰা পুনৰ আৰম্ভ কৰাৰ পৰিবেশ ঘুৰি আহিব।

অসমীয়া ৰাইজে প্ৰায় আধা শতিকা জুৰি অবাধ প্ৰব্ৰজনৰ বিৰুদ্ধে মাত মাতি আহিছে আৰু স্বাধীনতাৰ পিছৰে পৰা বিদেশী নাগৰিকৰ অবাধ প্ৰব্ৰজনৰ সমস্যাটো সমাধান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক কেইবাৰো কৈছে। ১৯৬২ চনত প্ৰধান মন্ত্ৰী পণ্ডিত নেহেৰুৱে ১৯৫২ চনৰ পৰা এই বিদেশী সকলক চিনাক্ত কৰাৰ কথা কৈছিল। অসমীয়া জাতি বিভিন্ন গোটেৰে গঠিত জাতি আৰু ই বিকাশৰ পথত। অবাধ প্ৰব্ৰজনৰ ফলত জনসংখ্যাৰ প্ৰকৃতি বদলি হৈ নিজৰ ৰাজ্যাঞ্চলতে সংখ্যালঘু হোৱাৰ ভয়ে ক্ষুদ্ৰ অসমীয়া জাতিক অতীততো খুলি খুলি খোৱাৰ চিন পোৱা যায়। গান্ধীজীয়ে ১৯৪৪ চনত অসমৰ জনসংখ্যাৰ প্ৰকৃতি ৰঙা কৰিবৰ বাবে সত্যাগ্ৰহ কৰাৰ অধিকাৰ আছে বুলি কৈছিল আৰু ১৯৪৬ চনত স্বায়ত্ব শাসনৰ ভেটিত ৰাজ্যৰ সত্তা ৰক্ষা কৰিবলৈ উপদেশ দিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰে এনে সমস্যা আছে। গতিকে সমস্যাটোক ক্ষুদ্ৰ জাতিৰ সমস্যা বুলি অভিহিত কৰিব পাৰি। ভাৰতৰ বিভিন্ন ৰাষ্ট্ৰতো এনে ক্ষুদ্ৰ জাতিৰ সমস্যাই মূৰ দাঙি উঠিছে। বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰতো ক্ষুদ্ৰ জাতিৰ সমস্যা বৰ্তমান। বিদেশী নাগৰিকৰ সমস্যাটোৰ মূল অন্বেষণ কৰিলে এই ক্ষুদ্ৰ জাতিৰ সমস্যাটোকে পাওঁ। দুয়োটাকে পইচাটোৰ ইপিঠি আৰু সিপিঠি বুলিলেও ভুল নহয়। মোৰ বিশ্বাস ক্ষুদ্ৰ জাতিবোৰৰ সমস্যা সমাধানৰ বাবে সংবিধানত হয় ৰক্ষা কৰচ; নহয় কিছু সুকীয়া ব্যৱস্থাৰ প্ৰয়োজন হ'ব।

অকল বিদেশী নাগৰিকৰ সমস্যাই নহয়, বিশ্বৰ আৰু দেশৰ ঘাই সমস্যাবোৰেও অসমীয়াৰ মনত আলোড়ন তুলিছেহি। পৃথিৱীয়ে আজি যুদ্ধৰ আৰু অস্ত্ৰৰ বিকল্প বিচাৰিছে। নহ'লে সমগ্ৰ বিশ্বৰ সভ্যতা আনবিক যুদ্ধত ধ্বংস হৈ যাব পাৰে। ন্যায়, সমতা আৰু মুক্তিৰ সংগ্ৰাম শান্তিপূৰ্ণ উপায়েৰে কৰাৰ বাবে বহুত চিন্তাশীল লোকে গান্ধীজীৰ সাধনাৰ কথা সুৰঁৰিছে। আনহাতে পুঁজিবাদ আৰু সমাজবাদৰ সংগ্ৰামো নতুন পদ্ধতিৰে সমাধান কৰাৰ পথো বহুতে বিচাৰিছে। দেশত যৌতুক দিব নোৱাৰাৰ বাবে বহুত বোৱাৰী অগ্নিদগ্ধা হৈছে, দাৰিদ্ৰ্যৰ যন্ত্ৰনাত কোটি কোটি লোক পীড়িত, দুৰ্নীতি আৰু বিবিধ অন্যায়-অসাম্যৰ ফলত সৰহ ভাগ লোক বঞ্চিত আৰু দেশৰ ৰাজনৈতিক ব্যৱস্থাৰ অস্থিৰতাৰ বাবে সমাজ সংকটাপন্ন। লেখক বা শিল্পীয়ে যেতিয়া নিলিখে বা ছবি নাআঁকে তেতিয়া নাগৰিক ৰূপে পৰিবেশ গঢ়াৰ বিবিধ কামত লিপ্ত হয়। সাহিত্যিক জনে মুখ্যতঃ নিজৰ সৃষ্টিৰ মাজেদিহে মানুহক সেৱা কৰে। কিন্তু তেওঁ কেইবাটাও ব্যক্তিত্বৰ সমন্বিত ৰূপতো আত্মপ্ৰকাশ কৰিব পাৰে। আজিৰ পৃথিবী এখন গাঁৱত পৰিণত হৈছে। তাত দেশ চুবুৰী, ৰাজ্য ঘৰ। বিজ্ঞান, টেকনলজি আৰু আধুনিক যোগাযোগ ব্যৱস্থাই দূৰক ওচৰ কৰিছে আৰু অনন্তলৈ মানুহৰ মন প্ৰসাৰিত কৰিছে। এনে এটা কালত আমি আমাৰ অসমীয়া মন, ভাৰতীয় মন আৰু বিশ্ব মন সকলো উপকৰণ বিৰোধ আঁতৰাই সমন্বয় সাধন কৰিব লাগিব।

সাহিত্যৰ সমস্যা ঃ

অসমীয়া সাহিত্যৰ ইতিহাস পঢ়িলে সাহিত্যৰ বিকাশৰ ৰূপ কি তাৰ স্পষ্ট ধাৰণা পোৱা নাযায়। ঐতিহাসিক বিকাশৰ ধাৰণাটো প্ৰথমতে খৃষ্টধৰ্মী লোকসকলে প্ৰৱৰ্তন কৰে। গ্ৰীকসকলে ঐতিহাসিক বিকাশৰ ধাৰণাৰ কথা কোৱা নাছিল। তেওঁলোকে জগতৰ ইতিহাসৰ ৰূপ চক্ৰাকাৰ বুলি ভাবিছিল। আমাৰ প্ৰাচীন ভাৰতবৰ্ষতো কালচক্ৰৰ ধাৰণাহে প্ৰচলিত আছিল। খৃষ্টধৰ্মীসকলৰ ইতিসাহৰ ধাৰণা মাৰ্ক্সবাদীসকলৰ ধাৰণাৰ লগতো মিলে। এই ঐতিহাসিক কালৰ ধাৰণা ৰৈখিক। এই কালৰ ধাৰণা সাহিত্যৰ ইতিহাসত প্ৰয়োগ কৰিলে আমি আধুনিকতাৰ ধাৰণা বা বিকাশৰ ধাৰণা পাওঁ। কিন্তু এই আধুনিকতা মানে সমসাময়িকতা নে কিছুমান নন্দনতাত্ত্বিক ধাৰণা? গ্ৰীক ট্ৰেজেডিসমূহৰ সৌন্দৰ্য বা নন্দনতাত্ত্বিক গুণত মাৰ্ক্স মুগ্ধ হৈছিল। সেই যুগত এনে সুন্দৰ সাহিত্য সৃষ্টি হোৱাৰ কাৰণ কি? বয়সীয়া অভিজ্ঞ লোকে শিশুৰ মনোহৰ লীলা চাই আনন্দ পোৱাৰ দৰেই উন্নত যুগৰ ৰসিকে গ্ৰীক ট্ৰেজেডি পঢ়ি আনন্দ পায় নেকি? বিভিন্ন যুগৰ শ্ৰেষ্ঠ সাহিত্যিসকলৰ ৰচনাক বহুতে আধুনিক বোলা দেখা যায়। সাহিত্যৰ বিকাশক ঐতিহাসিক বিকাশৰ সমাৰ্থক বুলি ভবাত সেইবাবে অসুবিধা আছে। আধুনিক কবিতা আৰু উপন্যাসত কালৰ ধাৰণাৰ কথাও এই প্ৰসংগত উত্থাপন কৰিব পৰা যায়। চিত্ৰকল্পবাদ বা চেতনা-স্ৰোত আদি সাহিত্যিক ধাৰণাৰ জন্ম হোৱাৰ মূলতে একোটা মুহূৰ্তত অতীত, বৰ্তমান আৰু ভৱিষ্যত কালক একত্ৰীকৰণৰ সম্ভাৱনাৰ ভাৱ। প্ৰাচীন পঞ্চতন্ত্ৰৰ গল্প-কথন ৰীতিও চক্ৰাকাৰ।

আমাৰ সাহিত্যৰ ইতিহাসত বিকাশৰ ৰূপ কি এই সম্পৰ্কে অলপ চিন্তা কৰিলেই কিছুমান প্ৰশ্নৰ উদয় হয়? শংকৰদেৱৰ সাহিত্য আৰু কলাক শ্ৰেষ্ঠতম বুলি ধাৰণা কৰা হৈ আহিছে। আধুনিক কালত বেজবৰুৱা, জ্যোতিপ্ৰসাদ আৰু মহেশ্বৰ নেওগ, সত্যেন শৰ্মা আদিয়ে নিজ নিজ দৃষ্টিৰ পৰা বিচাৰ কৰি এই শ্ৰেষ্ঠত্বত গুৰুত্ব দিয়া দেখা গৈছে। সেইদৰে প্ৰগতিশীল বা মাৰ্ক্সবাদী আলোচকসকলে জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ সাহিত্য বা ভাবধাৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। বৰ্তমান আন্দোলনৰ সময়ত এওঁলোকৰ সাহিত্য আৰু গীত অসমীয়া জাতীয়তাৰ দৃষ্টিৰে মূল্যায়ন কৰা দেখা গৈছে। আন্দোলনৰ কালত জ্যোতিপ্ৰসাদৰ গানৰ প্ৰভাৱ শ্ৰোতাসকলৰ ওপৰত এনেকৈ পৰিছিল যে গুৱাহাটীৰ আকাশ বাণীয়ে তেওঁৰ দুই এটা গীতৰ প্ৰচাৰ বন্ধ কৰি থৈছিল। ৰেডিঅ'ৰ আমোলাসকলৰ এই কাৰ্য ৰাজনীতি-প্ৰণোদিত। আধুনিক কবিসকলৰ ভিতৰত বিভিন্ন স্তৰৰ কবি আছে। গুণী কবি কেইকৰাকীমানৰ কবিতা সম্পৰ্কীয় বক্তব্যবোৰ মন দি পঢ়িলে শংকৰদেৱ আৰু জ্যোতিপ্ৰসাদতকৈ বেলেগ এটা কবিতাৰ ধাৰণা আমাৰ মনলৈ আহে। প্ৰকৃত পক্ষে অসমীয়া সাহিত্যৰ ইতিহাস পঢ়িলে বিভিন্ন সমালোচনাৰ ধাৰা আৰু নন্দনতাত্ত্বিক ধাৰণাৰ পৰোক্ষ উপস্থিতিৰ অনুভৱ হয়। কিন্তু সমালোচনা আৰু নন্দনতত্ত্বৰ মূল সূত্ৰবোৰৰ বিষয়ে আৰু অসমীয়া সাহিত্যত সেইবোৰৰ স্থিতি আৰু প্ৰাসংগিকতা সম্পৰ্কে মৌলিক আলোচনা খুব কম হৈছে। ত্ৰৈলোক্য গোস্বামীয়ে এই সম্পৰ্কত কিছু বৰঙণি আগবঢ়াইছে। সমালোচকসকলৰ চিন্তাৰ মূলনীতিবোৰ অনুসন্ধান নকৰাকৈ কেৱল সাময়িক প্ৰয়োজন পূৰণৰ বাবে লেখা আলোচনাৰ পৰা অসমীয়া সাহিত্যত হোৱা চিন্তা-ভাৱনাৰ বিভিন্ন ধাৰাৰ তাৎপৰ্য অনুধাবন কৰা টান। আমাৰ মনৰ পৰাধীনতা এতিয়াও আছে। আমাৰ সমালোচনা সাহিত্যত বিদেশী সাহিত্যৰ ধাৰণাবোৰ প্ৰায়ে অপ্ৰাসংগিক আৰু অনৈতিহাসিকভাৱে ব্যৱহৃত হোৱা দেখা যায়। তুলনামূলক সমালোচনাৰ অধ্যয়ন হ'লে আমাৰ সমালোচনাৰ পৰনিৰ্ভশীলতা বা আত্মনিৰ্ভৰশীলতাৰ পৰিশ্ৰম কিমান তাক ধৰিব পৰা হ'ব। কবিতা বা উপন্যাস ৰচনাত যি সৃষ্টি প্ৰক্ৰিয়া, তাক ভালদৰে জানিবলৈ হ'ল লেখকৰ দৃষ্টিৰ পৰা তাক ভালদৰে বুজা আৱশ্যক। সাহিত্যৰ মনস্তাত্ত্বিক আৰু সমাজতাত্ত্বিক অধ্যয়নে কেৱল মন আৰু দেহৰ বিভক্ত ৰূপৰ চেতনা দিয়ে, কলাই জটিল বাস্তৱতাৰ সমল লৈ কেনেকৈ এক ঐক্য সুৰত বান্ধি সৌন্দৰ্যৰ সৃষ্টি কৰে তাক জানিবলৈ নন্দনতাত্ত্বিক অন্তৰ্দৃষ্টিৰ আৱশ্যক।কলাৰূপ যুগে যুগে সলনি হৈ থাকে। সেই কাৰণে শংকৰদেৱ, বেজবৰুৱা আৰু আধুনিক কবি এজেনৰ সাহিত্যক একে নন্দনতাত্ত্বিক দৃষ্টিৰে চালে ভুল হৈ যাব। কোনো এজন সাহিত্যিকে নিজ দৃষ্টিভংগীৰে পূৰ্বৰ এজন সাহিত্যিকৰ অনুপ্ৰেৰণা গ্ৰহণ কৰিবলৈ তেওঁৰ সাহিত্য যি ধৰণে মূল্যায়ণ কৰে, সমালোচকে সেই দৃষ্টিভংগী ল'লে ভুল হ'ব। তেওঁ প্ৰত্যেক জনৰে ৰচনা আৱশ্যকীয় দৃষ্টিভংগীৰে বিচাৰ কৰিব লাগিব। আমাৰ আগৰ চাম সমালোচনাকৰ যি স্বদেশানুৰাগ আৰু মানৱীয় গুণ আছিল, ডেকা সমালোচকসকল তাৰ উত্তৰাধিকাৰী হ'বলৈ যত্ন কৰা উচিত। অসমীয়া সাহিত্য সমালোচনাৰ পৰিবেশ উন্নত কৰিবৰ বাবে সমালোচনাৰ মূল নীতিবোৰৰ সম্পৰ্কে বিশেষ চিন্তা-চৰ্চাৰ প্ৰয়োজন হৈ পৰিছে।

অসমীয়া পুৰণি সাহিত্যৰ নন্দনতত্ব সম্পৰ্কে কোনো গ্ৰন্থ পোৱা নাযায়। কিন্তু এই সাহিত্য যে ভক্তিৰসৰ ওপৰত প্ৰতিষ্ঠিত এই কথা সেই কালৰ কাব্য আৰু গদ্য সাহিত্যত পোৱা বিভিন্ন মন্তব্যৰ পৰা বুজা যায়। এনবোৰ মন্তব্যৰ সহায় আৰু ভাৰতীয় নন্দনতত্বৰ পৰা আৱশ্যকীয় প্ৰেৰণা লৈ সাহিত্যৰ নন্দনতত্ব উদ্ধাৰ কৰিব পৰা যায়। তেতিয়া হ'লে পুৰণি সাহিত্যৰ সাহিত্যিক মূল্যায়ণৰ পথ সহজ হ'ব আৰু অসমীয়া পুৰণি সাহিত্যৰ শিক্ষাও সাৰ্থক দিশত আগবাঢ়িব। "পাৰিজাত হৰণ" নাটত হাস্য, শৃংগাৰ আৰু বীৰ ৰস পোৱা যায়, কিন্তু নাটখনৰ পৰিসমাপ্তি ঘটিছে ভক্তি ৰসেৰে। প্ৰাচীন সাহিত্যক এই দৃষ্টিৰে অধ্যয়ন কৰিলে, সেই সাহিত্যৰ ৰস-দৃষ্টি পৰিষ্কাৰ হৈ উঠিব। জোনাকী যুগৰপৰা আৰম্ভ কৰি বৰ্তমান কাললৈকে আমাৰ যি আধুনিক সাহিত্য সৃষ্টি হ'ল, তাৰ বিভিন্ন ধাৰাবোৰো নকৈ অধ্যয়ন কৰা ভাল হ'ব। বেজবৰুৱা সাহিত্যৰ কথাই লোৱা যাওক। এই সাহিত্যৰ অধ্যয়নৰ বিষয়ে বাণীকান্তই কোৱা এষাৰ কথা প্ৰণিধানযোগ্য; "বেজবৰুৱা সাহিত্যৰ ঐক্যসূত্ৰ বুজিব নোৱাৰি বহুত সময়ত লোকে তেওঁক সংকীৰ্ণতা দোষত দোষী কৰিব খোজে। কিন্তু প্ৰকৃত সমালোচনাৰ ৰীতি হৈছে—প্ৰত্যেক ৰচনাকেই সাহিত্যৰ ফালৰ পৰা গাইগোটা হিচাপে গুণাগণ বিচাৰ কৰি আটাইবোৰ ৰচনাৰেই সমষ্টিগত ভাৱে মূলসূত্ৰ বিচাৰ কৰাটো।" যি পদ্ধতিৰে বা যি ধাৰাৰে প্ৰয়োগ নকৰক কিয়, সমালোচকসকলে মূলনীতি প্ৰয়োগ কৰিবলৈ এই সাহিত্য মনোযোগ দি যদি নপঢ়ে, তেন্তে মনে গঢ়া ধাৰণাৰ সহায়েৰে বেজ বৰুৱাৰ সাহিত্যৰ মূল্যায়ন কৰিব সমালোচকে নিজৰ দায়িত্বৰ হাত সৰাৰ বাবে আন উপায় নেথাকে। অকল কৃপাবৰ ৰৰৰৰুৱাৰ চৰিত্ৰটোৰেই অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। বিশ্বৰ হাস্যৰসাত্মক সাহিত্যৰ বিখ্যাত চৰিত্ৰসমূহৰ লগত ইয়াক ৰিজাব পাৰি। ফাৰ্চ বা লঘু ব্যংগই তেওঁৰ এই শ্ৰেণীৰ লেখাবোৰ ঢাকি ৰাখিলেও, ঢাকনি খুলি আমি যিমানেই ভিতৰলৈ সোমাওঁ, সিমানেই 'কমেডি' আৰু 'চেটায়াৰ' পাওঁ। এই লেখাবোৰৰ ঐক্যদান কৰিছে হাস্যৰসাত্মক জীৱন-দৰ্শনে। এই ঐক্যৰ সূত্ৰ আৱিষ্কাৰ কৰিলেই হাস্যৰসাত্মক লেখাবোৰ অৰ্থপূৰ্ণ হৈ উঠে। আমি কৃপাবৰক জাতীয় বহুৱা আৰু বেজবৰুৱাৰ অন্যাত্মা যেন দেখো। বেজবৰুৱাৰ ইবোৰ লেখাও এই পদ্ধতিৰে মূল্যায়ন কৰা আৱশ্যক হৈ পৰিছে। অকল বেজবৰুৱাই নহয়, সকলো গুণী লেখকৰ ক্ষেত্ৰত এনে অধ্যয়ন আৱশ্যক। বৰ্তমান অসমত, ইতিহাস লেখকসকলক বাদ দিলে, অসমীয়া সাহিত্যৰ প্ৰায়খিনি সমালোচকৰ দৃষ্টি নিৰ্দিষ্ট ধাৰা আৰু নিৰ্দিষ্ট কিছুমান লেখক বা কলাৰূপতে সীমাবদ্ধ হৈ আছে। তেওঁলোকে অসমীয়া সাহিত্যৰ ইতিহাসৰ মাজত প্ৰবাহমান সংস্কৃতিৰ এনে এটা অবিৰত প্ৰবাহ চলি থাকে। এই প্ৰবাহ প্ৰকাশ পায় কলাৰ আন্তৰিক শক্তি বা স্ফূৰ্তিৰ মাজেদি। এই আন্তৰিক শক্তিয়েই বেজবৰুৱাৰ ৰচনাৰ লগত জ্যোতিপ্ৰসাদৰ আৰু জ্যোতিপ্ৰসাদৰ ৰচনাৰ লগত তেওঁৰ পিছৰ লেখকসকলৰ লেখাৰ সংযোগ সাধন কৰে। বেজবৰুৱাৰ ডালিমী চৰিত্ৰৰ লগত জ্যোতিপ্ৰসাদৰ চিত্ৰলেখাৰ এটা সম্পৰ্ক আছে। এই সম্পৰ্ক আন্তৰিক শক্তি প্ৰবাহৰ সাক্ষ্য। এই শক্তি-ভাব, চিন্তা, প্ৰেৰণা, অনুভূতি আদিৰ ৰূপত প্ৰকাশ পায়। ইয়াৰ ভিতৰত সাহিত্য-চিন্তাও আছে। বেজবৰুৱাকে আদি কৰি আমাৰ লেখক আৰু আলোচকসকলৰ ৰচনাত পোৱা বিভিন্ন ধৰণৰ সাহিত্য-চিন্তাবোৰৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰিলে আমি অনতীত যুগৰ আধুনিক অসমীয়া সাহিত্যৰ নন্দনতাত্বিক ধাৰণাসমূহ স্পষ্টভাবে ধৰিব পাৰিম।

আমাৰ আধুনিক অসমীয়া সাহিত্য সমাজতাত্বিক দিশৰ পৰা অধ্যয়ন কৰা হৈছে যদিও এই অধ্যয়ন প্ৰণালীবদ্ধ বা পূৰ্ণাংগ হৈছে বুলি ক'ব নোৱাৰি। জাতীয়তা বা সমাজবাদৰ ভাৱধাৰা আজিৰ অসমীয়া সমাজত জনপ্ৰিয়, কিন্তু সাহিত্যত অথবা সাহিত্য চিন্তাত এইবোৰ কেনেদৰে প্ৰকাশিত হৈছে বা হ'ব লাগে, এই লৈ যথেষ্ট চিন্তা হৈছে বুলি ক'ব নোৱাৰি। বেজবৰুৱাই ডালিমীৰ মুখত দিয়া 'কেঁচাসোণ' শব্দটোৰ সুপ্ৰয়োগ 'এজন যুগনায়ক সাহিত্যিকৰ' প্ৰতিভাৰ পৰিচায়ক বুলি জ্যোতিপ্ৰসাদে কৈছে। জাতীয়তা ভাষাতো প্ৰকাশ হয়। কবিতাৰ চিত্ৰকল্প ৰচনা আৰু উপন্যাসৰ চিত্ৰাংকণ আদিতো জাতীয় ৰূপ প্ৰকাশ পায়। আত্মবিস্মৃতি আৰু মানসিক অৱসাদৰ যুগত সাহিত্য সমালোচনাই জাতীয় চৈতন্য জগায় আৰু সাহিত্যই প্ৰাচীন ঐতিহ্যৰ প্ৰেৰণা লৈ ন ৰূপত আত্মপ্ৰকাশ কৰে। কিন্তু সাধাৰণ কালতো জাতীয় জীৱনৰ মাজেদি প্ৰকাশ পোৱা মানৱ-সম্পৰ্ক অথবা মানৱ প্ৰকৃতিৰ লীলাই সাহিত্যৰ উপজীব্য। সমাজবাদী চিন্তাবিদসকলৰ ভিতৰত সমাজবাদৰ ধাৰণা অনুসৰি বিভিন্ন শ্ৰেণী আছে, কিন্তু তেওঁলোকৰ সকলোৰে লক্ষ্য সমাজখনক সকলো অন্তৰ্বিৰোধৰ পৰা মুক্ত কৰি নিটোল কলাৰ দৰে নকৈ নিৰ্মাণ কৰা। জাতীয়তাবাদী সকলৰ লক্ষ্য হ'ল আনৰ ক্ষতিকৰ প্ৰভুত্বৰ কৱলৰ পৰা মুক্ত কৰি সমগ্ৰ দাস জাতিটোক স্বাধীনতা দিয়া। অৱশ্যে আমাৰ অসমীয়া সমাজত অসমীয়া সকলেও এটা জাতীয় চেতনা বিকাশ কৰিছে। এই জাতীয়তাক

সৰ্বভাৰতীয় জাতীয় চেতনা আৰু আন্তৰ্জাতিকতাৰ পৰা বিচ্ছিন্নকৈ চাব নোৱাৰি। সুষ্ঠ জাতীয়তাইহে সাহিত্যক উন্নত সৃষ্টিৰ প্ৰেৰণা যোগায়। আধুনিকতা শব্দটো সাহিত্যত সঘনে ব্যৱহৃত হয়। ইয়াৰ সাহিত্যিক বা কলাগত তাৎপৰ্যহে আমাৰ কাৰণে অধিক তাৎপৰ্যপূৰ্ণ। জাতীয়তা আৰু সমাজবাদী চেতনা সাহিত্যত আধুনিক কলাৰূপবোৰৰ মাজেদি প্ৰকাশ পায়। সাহিত্য ৰচনা কালত এই চেতনাবোৰ লেখকৰ মনত কলাৰ চেতনাৰ সৈতে মিলি বিষয়-বস্তুৰে এক সুসংহত ৰূপ লয়। ভাষাৰ মাধ্যমত প্ৰকাশিত হোৱাৰ পিছত সি পুথি বা ৰচনাৰ ৰূপ লৈ পাঠক বা সমালোচকৰ আলোচ্য বিষয় হৈ পৰে। প্ৰকৃত সমালোচকে কিতাপ আলোচনা কৰোতে লেখকৰ মনৰ সৃষ্টিৰ প্ৰবাহৰ বিষয়ে ভালদৰে অৱগত, হোৱা আৱশ্যক। তেতিয়াহে সমালোচনা পূৰ্ণাংগ হয় আৰু নতুন সৃষ্টিৰ সহায়ক হয়।

অসমীয়া জাতীয় সাহিত্য সমালোচনাৰ উহ বিচাৰিবলৈ গলে আমি বেজবৰুৱাৰ গদ্য ৰচনাবোৰলৈ ঘুৰি যাব লাগে। অৱশ্যে বেজবৰুৱাৰ গদ্য ৰচনাবোৰ অন্যান্য উৎসৰ ভিতৰৰ এটাহে। বেজবৰুৱাই জীৱনৰ আদি কালতে দিয়া অসমীয়া ভাষা সম্পৰ্কীয় বক্তৃতা লানিয়ে ভাষা, সাহিত্য আৰু জাতীয় উন্নতিৰ সম্পৰ্ক ফঁহিয়াই দেখুৱাইছে। এইবোৰৰ উপৰিও তেওঁৰ সাহিত্য সম্পৰ্কীয় মন্তব্যবোৰো অসমীয়া সাহিত্য চিন্তাৰ নিদৰ্শন স্বৰূপ। তেওঁৰ মতে,— "জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি, জীৱন সংকীৰ্ণ হ'লে সাহিত্যও সংকীৰ্ণ হয়।" জীৱন মুক্ত হ'লে সাহিত্যও মুক্ত হয় আৰু তাৰ অস্তিত্ব নেহেৰুৱায়। পৰিবৰ্তন সাহিত্যৰ ধৰ্ম আন সাহিত্যৰ গঢ় আনিও নিজৰ সাহিত্য মহৎ কৰা অবিধেয় নহয়। কবিৰ ভাব বিশ্বভাব, কিন্তু দেশীয় ভাব, ভাষা, ভংগী, আচাৰ-ব্যৱহাৰ কবিতাৰ ৰচনাৰ সহায়ক। দেশ-কালৰ ভিতৰৰ বস্তুৰ মাজেদি গৈয়েই কবিয়ে বিশ্বক স্পৰ্শ কৰে। সাৰ্বজনিক সাৰ্বভৌমিক সাহিত্য অকল প্ৰাণৰ আবেগ বা চিন্তাৰ প্ৰবাহ বা মাথোন ইন্দ্ৰিয়ৰ অনুভূতিৰ বস্তুৰেই নহয়। সাহিত্য দিব্য দৃষ্টিৰ সৃষ্টি। প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ মুক্তি। সকলোৰে ভিতৰত যি সত্য অস্পষ্ট তাক স্পষ্টকৈ দেখুৱা কবিৰ কাম। ভাষা উজু আৰু সৰল হ'ব লাগে বুলি আহুকাল কৰি থাকিবৰ সকাম বৰ নেদেখা। সাহিত্যিকৰ অন্তৰ সৰল হ'লে, তেওঁত ৰচনাত ভাষাটিও সৰলতাৰ শুভ্ৰ মহিমাৰে বিমণ্ডিত হ'ব আৰু সেই সৰল ভাষাই মানুহৰ অন্তৰ স্পৰ্শ কৰিবই কৰিব। নাটশালাৰ সাহিত্যত জাতিৰ সুখ-দুখ, আশা-আকাংখাৰ প্ৰতিবিম্ব থাকিব লাগে। ৰংগভূমি ডাঙৰ শিক্ষাৰ মহৎ জাগৰণৰ ঠাই। বেজবৰুৱাৰ এই উক্তিবোৰ লোৱা হৈছে তেওঁৰ ১৯২৪ চনৰ সাহিত্য সভাত দিয়া অভিভাষণৰ পৰা। মাৰ্ক্স বা এঞ্জেলছৰ এনবোৰ সূত্ৰৰ পৰাই যদি কমিউনিষ্ট সাহিত্য সমালোচনা তত্বৰ উদ্ভৱ হ'ব পাৰে, বেজবৰুৱাৰ চিন্তাশীল আৰু হাস্যৰসমূলক ৰচনাবোৰৰ পৰাও অসমীয়া জাতীয়তাবাদী সাহিত্য তত্বৰ স্বৰূপ উদ্ধাৰ কৰাত একো বাধা নাই। আমি যদি প্ৰকৃততে আধুনিক সাহিত্য-চিন্তাবোৰৰ মূল্যায়ন কৰিব লাগিব। চাপৰিলে মেঘ নেৰায়। সামগ্ৰিক দৃষ্টিত চালে আৰু এতিয়ালৈকে হোৱা তাৎপৰ্যপূৰ্ণ সমালোচনা সাহিত্যৰ বিচাৰ কৰিলে আমি তাৰ প্ৰেৰণদায়ক দিশটোও দেখা পাম। বহুত বিপৰীত পৰিস্থিতিৰ সন্মুখীন হৈ আগৰ যুগৰ অসমীয়া চিন্তাবিদসকলে সাহিত্যৰ পৰিৱেশ আৰু ৰচনা আৰু সাহিত্য-চিন্তাৰ যি উত্তৰাধিকাৰ এৰি থৈ গৈছে, তাত আমাক আত্মবিশ্বাস দিব পৰা বহুত উপাদান আছে। জাতীয়তাক বাণীকান্তই 'ভাবমণ্ডল' বুলিছে। এই ভাবমণ্ডলৰ পৰিসৰেই জাতি বা সমাজৰ মানসিক উন্নতিৰ ওখ-চাপৰ অৱস্থা নিৰ্ধাৰণ কৰে। তেওঁ কৈছিল, "বেলি মাৰ যায়, কিন্তু গ্ৰহ-উপগ্ৰহে তাৰ প্ৰতিবিম্বৰেই বাটকৰাক পথ দেখুৱায়।" মোৰ দৃঢ় বিশ্বাস আমাৰ জাতীয় সাহিত্য চিন্তাই আমাক নিজ 'কুল' (জৈব আৰু সাংস্কৃতিক উত্তৰাধিকাৰ) আৰু 'শীল' (নিজৰ পৌৰুষৰ দ্বাৰা অৰ্জা নতুন ভাব, কৰ্ম পদ্ধতি, দৰ্শন আৰু দৃষ্টি আদি) কি তাক জানিবলৈ সুযোগ দিয়ে। সাহিত্যত জাতীয়তা সেইবাবে ৰাজনৈতিক ধ্বনিৰ লগত সমাৰ্থক নহয়। ই এটা সম্পূৰ্ণ সমালোচনা পদ্ধতিৰ প্ৰৱেশদ্বাৰ স্বৰূপ। আধুনিকতাৰ বা সমাজবাদী চিন্তাধাৰাৰ লগতো ইয়াৰ সম্পৰ্ক বা মিল নোহোৱা নহয়।

সাহিত্য সমালোচনাত সমাজবাদৰ প্ৰভাৱৰ কথা ওলালেই মোৰ লেনিনৰ এষাৰ কথালৈ মনত পৰে। ছোভিয়েত ৰুছিয়াত আৰম্ভণি কালৰ মাৰ্ক্সীয় সাহিত্য সমালোচনাৰ ওপৰত মন্তব্য দি লেনিনে কৈছিল, "জন্তুৰ মাজত কেনেকৈ নন্দনতাত্বিক অনুভূতি জন্মে, শিশুৰ মনত কেনেকৈ সংবেদনশীলতা বিকাশ হয় বা সামূহিক সাধনাৰ ফলত সৃষ্টি হোৱা ভাষাসমূহৰ মাজত কিমান চহকী সম্পদ লুকাই আছে, এইবোৰ বিষয় অনুসন্ধান নকৰাকৈ সাহিত্য অধ্যয়ন কৰা সমালোচকসকল অতি সংকীৰ্ণ গৱেষক। আমি এই অধ্যয়নৰ কাম আৰম্ভ কৰিছো বুলি সদ্যহতে এন সংকীৰ্ণ গৱেষকক মানি ল'ব লগা গৈছে। কিন্তু তেওঁলোকক বিশুদ্ধ মাৰ্ক্সীয় গৱেষণাৰ আৰ্হি বুলি ধৰিলে তেওঁলোকক হাঁহিয়াতৰ পাত্ৰহে কৰা হ'ব।" নন্দনতত্বৰ অনুভূতিৰ উৎপত্তি আৰু

বিকাশৰ কথা জানিবলৈ হ'লে সমালোচকক জীৱতত্ব, মনস্তত্ব, তুলনামূলক সামালোচনা সাহিত্য, বিবিধ কলাৰ তত্ব আৰু দৰ্শনৰ সুসমন্বিত জ্ঞানৰ আৱশ্যক। লেনিনে সাহিত্য তত্ব আৰু সাহিত্যৰ ইতিহাসক মানৱীয় জ্ঞানৰ ইতিহাসৰ অংগ বুলি ধৰিছিল। মার্ক্সেও "নতুন আমেৰিকীয় বিশ্বকোষ"লৈ নন্দনতত্বৰ বিষয়ে এটা নিবন্ধ লিখিবলৈ লৈছিল, কিন্তু লিখা নহ'ল। তেওঁ গ্রীক ট্রেজেডি পঢ়ি অনুন্নত সমাজত এই মহৎ গ্রন্থবোৰ কেনেকৈ ৰচিত হৈছিল তাক ভাবি আচৰিত হৈছিল। এই বিষয়ে আগতে উনুকিয়া আহিছোঁ। প্রকৃত পক্ষে উন্নত সমাজ গঠন হ'লেই যে মহৎ সাহিত্য ৰচিত হ'ব, তাৰ কোনো নিশ্চয়তা নাই। সাহিত্য সৃষ্টিৰ মহত্ব লেখকৰ প্রতিভা আৰু স্বাধীনতাৰ ওপৰতো বহুত পৰিমাণে নির্ভৰ কৰে। সাহিত্যিৰ পৰিৱেশ সৃষ্টিৰ বাবে সমাজবাদী চিন্তাবিদসকলে দিয়া প্রতিশ্রুতিবোৰ পূৰণ কৰিবলৈ হ'লে অযথা ৰাষ্ট্রীয় বা দলীয় নিয়ন্ত্রণৰ ঠাইত স্বনিয়ন্ত্রণৰ ব্যৱস্থা প্রৱর্তন কৰিব লাগিব আৰু জনতাক দাৰিদ্র্য, অজ্ঞতা, আৰু ভয়ৰ পৰা মুক্তি দি তেওঁলোকক কলাৰ ৰস গ্রহণ আৰু সৃষ্টিৰ সুবিধা দিব লাগিব। সাহিত্য সৃষ্টিৰ বাবে মুক্ত ভাবমণ্ডল বা বাতাবৰণৰ প্রয়োজন। এই প্রসংগত বেজৰবৰুৱাই কোৱা এষাৰ কথা মনত পৰে। প্রকৃত সাহিত্যৰ লক্ষণ মুক্তি। গ্রীক সমাজৰ গণতান্ত্রিক বাতাবৰণৰ বাবেই মহৎ ট্রেজেডি আৰু কমেডিবোৰ জন্ম হৈছিল বুলি পণ্ডিতসকলে কয়। সমাজবাদী আন্দোলনৰ কালতেই হওক বা সমাজবাদী সমাজতেই হওক সাহিত্যিকসকলে বিশ্বৰ সমস্ত কলা-সম্পদৰ উত্তৰাধিকাৰী হয়। স্বাভাৱিকতে তেওঁলোকে সাধ্যানুসাৰে বিভিন্ন সাহিত্য, বিভিন্ন কলা ৰূপ, বিভিন্ন সাহিত্য-চিন্তা আৰু ৰচনাৰীতি চালিজাৰি চাই সেইবোৰৰ পৰা প্রেৰণা লয়। এই কাম কৰিবৰ বাবেও স্বাধীনতাৰ প্রয়োজন। মুঠতে স্বাধীনতা নহ'লে প্রতিভাৰ অপচয় ঘটিব আৰু তাৰ ফলত সমাজৰেই ক্ষতি হয়। এজন লেখকে পূৰণি কলা ৰূপকে ল'ৰ নে নতুন কলা ৰূপ আৱিষ্কাৰ কৰিব, কি আংগিকে তেওঁক শুজিব, জীৱনৰ পৰা কি বিষয়-বস্তু কেনেকৈ বাচিব, এইবোৰ যথেষ্ট পৰীক্ষা-নিৰীক্ষাৰ মাজেদিহে থি�ৰাং কৰিব। পৰীক্ষা-নিৰীক্ষাৰ বাবে এটা বহল ভাব মণ্ডলৰ প্রয়োজন। সেই বাবে নন্দনতাত্বিক সৃষ্টিৰ সৈতে কোনো বিশেষ অৱস্থাৰ ৰাজনৈতিক ধ্বনিৰ লক্ষ্য খাপ নেখাব পাৰে। সাহিত্য আৰু কলাৰ নিজ এখন ক্ষেত্র আছে। সাহিত্য সমালোচনাৰ এটা মুখ্য দায়িত্ব হ'ল এই সৃষ্টি ক্ষেত্রৰ স্বৰূপ সমাজৰ আগত ব্যাখ্যা কৰি জীৱনৰ বিভিন্ন ক্ষেত্রৰ লগত ইয়াৰ প্রকৃত সম্পর্ক নির্ধাৰণ কৰা।

আমি আজি পশ্চিমীয়া আৰু ছোভিয়েত দুয়োটা আৰ্হিৰ সমাজৰ আভাষ পাইছোঁ। আমাৰ নিজৰ দেশত হোৱা স্বাধীনতা আন্দোলনৰ ফলত হোৱা আধুনিকীকৰণৰ আভাসো আমি পাইছো। বিভিন্ন দেশ আৰু সমাজ ব্যৱস্থাত সাহিত্যৰ বা কলাৰ পৰিস্থিতি কেনে এই সম্পর্কে আমাৰ সমালোচকসকলে মৌলিক গৱেষণা কৰিবৰ হ'ল। বিভিন্ন দেশৰ সংস্কৃতি আৰু সাহিত্যৰ প্রকৃত ছবি সেই দেশসমূহৰ প্রচাৰ গ্রন্থ বা পুস্তিকাৰ যোগে পোৱা নেযায়। পশ্চিমীয়া দেশৰ বিশ্ববিদ্যালয়সমূহত আৰু বিভিন্ন সাংস্কৃতিক সস্থাত বিদেশী সাহিত্য আৰু সাহিত্য-চিন্তা সম্পর্কে সততে গৱেষণা হয়। আমাৰ দেশ আৰু ৰাজ্যৰ শিক্ষানুষ্ঠান আৰু সাহিত্যানুষ্ঠানবোৰ এই বিষয়ত মুঠেই সজাগ নহয়। সাহিত্য সমালোচনাক যদি প্রকৃত পক্ষে মানৱীয় জ্ঞানৰ ইতিহাসৰ অংশবিশেষ কৰিব লাগে, তেন্তে প্রত্যেক দেশৰ সাহিত্যৰ সম্যক জ্ঞান অর্জন কৰি তাৰ সাহিত্য-চিন্তাবোৰ আমাৰ গ্রহণযোগ্য হয় নে নহয় আমি বিচাৰ কৰিব লাগিব। সমালোচকসকলে যি দেশৰ সাহিত্য জানিব খোজে, সেই দেশৰ ভাষা জানিলে ভাল হয়। আমি ভাৰতবর্ষৰ সাহিত্য আৰু কলাৰো উত্তৰাধিকাৰী। আমাৰ অসমীয়া পূৰণি সাহিত্য আৰু কলা আমাৰ বাপতি সাহোন। এই বিলাক সাহিত্য আৰু কলাৰ মাজত যিবোৰ মূল্যবান সাহিত্য চিন্তা আছে তাক আমি অৱহেলা কৰা উচিত নহয়। জাপানী ভাষাৰ উপন্যাসত বিদেশী কলাৰূপৰ প্রভাৱ যিমান অনুভৱ কৰা যায়, নিজৰ পূৰণি সাহিত্যৰ প্রভাৱো সিমান অনুভৱ কৰা যায়। এই কথা আমি স্বীকাৰ কৰিব লাগিব যে আধুনিক সাহিত্য আমাৰ প্রাচীন কাব্য আৰু নাটকসমূহৰ দৰে জনসাধাৰণৰ প্রাণৰ বস্তু হৈ পৰা নাই। ৰাম, শিৱ, কৃষ্ণ আদি মহাকাব্য আৰু পুৰাণৰ এই চৰিত্রবোৰ আজিও মানুহৰ সমূহীয়া স্মৃতিত জীৱন্ত হৈ আছে। আমাৰ আধুনিক উপন্যাসৰ চৰিত্র জানো মানুহৰ মনত তেনেকৈ সোমাইছে? আমাৰ আধুনিক সাহিত্য পশ্চিমীয়া বা ছোভিয়েত আৰ্হিত যে বিকশিত হ'ব লাগিব, এনে কোনো সত্য সাহিত্য সমালোচনাই স্বীকাৰ নকৰে। প্রত্যেক দেশৰে সাহিত্যৰ এটা আধাৰ সেই দেশৰ সুস্থ সাহিত্য ঐতিহ্যত। সাহিত্যত আন্তর্জাতিকতাও সার্থকভাৱে পৰিস্ফুট হয় তেতিয়াহে, যেতিয়া মগনীয়া বা প্রমোদ যাত্রীৰ দৰে আমি বিদেশী বস্তু আহৰণ নকৰি নিজৰ দেশৰ সুস্থ ঐতিহ্যৰ পৰা শক্তি গোটাই প্রকৃত উদাৰ গৃহস্থৰ দৰে আলহীৰ দান গ্রহণ কৰোঁ। আমাৰ নাট্য শাস্ত্রৰ বিষয়ে এজন গোলেণ্ড পণ্ডিতে লিখিছে, "নাট্যশাস্ত্র এই শ্রেণীৰ এখন অসাধাৰণ

গ্রন্থ। ঐতিহাসিক দৃষ্টিৰে চালে এই গ্রন্থখনক নাট্যকলাৰ চৰম বিকশিত ৰূপ বুলি ধৰিব পাৰি। আমাৰ প্ৰেৰণাৰ উৎসৰূপে ইয়াৰ মূল্য প্ৰতিষ্ঠিত কৰিবলৈকে মই এই কথা কোৱা নাই। এইষাৰ ইউৰোপীয় ৰংগমঞ্চৰ ছোঁঘৰত ডাঙৰ-দীঘল হোৱা এজন লোকৰহে কথা। অতি উন্নত নাট্য-কলা শিক্ষাৰ পাঠ্যক্ৰমবোৰৰ লগত ইয়াৰ বিষয়-বস্তু বিজালে আমি বুজি পাম, আজিকালি নাট্যকলাত অত্যাৱশ্যকীয় বুলি ভবা সকলো বস্তুৰেই ইয়াত আছে।" প্ৰকৃত অনুসন্ধানৰ দৃষ্টিৰে চালে প্ৰাচীন ভাৰতৰ কলা-সাহিত্যই আমাক নতুন সৃষ্টিৰো প্ৰেৰণা যোগাব পাৰে। আমাৰ অসমত অংকীয় নাট, সত্ৰীয়া নৃত্য আৰু অন্যান্য প্ৰাচীন কলাসমূহে আমাক তেনে ধৰণৰ প্ৰেৰণা যোগোৱাত সহায় কৰিব পাৰে। প্ৰাচীন ভাৰতবৰ্ষৰ দৰে মধ্যযুগৰ অসমতো সাহিত্য আৰু কলাসমূহৰ মাজত গভীৰ আদান-প্ৰদান থকাৰ উপৰিও নাট্য আৰু নৃত্যত কেইবাটাও কলাৰ সমন্বয় ঘটিছিল।

বিদেশী সাহিত্যৰ পৰা অহা বিভিন্ন সাহিত্যতত্ত্ববোৰৰ ভিতৰত ৰমন্যাসবাদ (ৰোমাণ্টিটিজম) আৰু বাস্তৱবাদ এই দুটা তত্ত্বৰে সাহিত্য সমালোচনাত অধিক প্ৰয়োগ দেখা যায়। এই দুটা শব্দ প্ৰায় ঘৰুৱা হৈছে আৰু ভালেমান বিদেশী শব্দৰ দৰে ইহঁত সাহিত্যৰ পৰিভাষাত জীন গৈছে। ইয়াৰ বাহিৰেও চিত্ৰকল্পবাদ প্ৰতীকবাদ, অৱস্থিতিবাদ, অভিব্যক্তিবাদ, অনৰ্থকতাবাদ আদি ধাৰাবোৰৰ নামো সমালোচনা সাহিত্যত আমি পাঁও। এই সকলো বিলাক ধাৰাক একেলগে আধুনিক ধাৰা বোলা হয়। 'আধুনিক' শব্দটোৰ দৰেই 'প্ৰগতিশীল' আৰু 'জন সাহিত্য' এই শব্দবোৰো আমাৰ সমালোচনাত ব্যৱহৃত হয়। এই সাহিত্যতত্ত্ববোৰ ইউৰোপীয় সাহিত্যৰ পৰা আমাৰ সাহিত্যলৈ আহিছে। গতিকে এই তত্ত্ববোৰৰ উৎপত্তি, স্বৰূপ আৰু আমাৰ সাহিত্যত সেইবোৰৰ প্ৰাসংগিকতা অথবা প্ৰয়োগৰ ৰূপৰ বিষয়ে স্পষ্ট ধাৰণা পাবলৈ হ'লে গভীৰ অধ্যয়নৰ প্ৰয়োজন। আমাৰ সমালোচনা সাহিত্যত ব্যক্তিগত উদ্যমৰ অভাৱ নাই, কিন্তু জনপ্ৰিয় সংবাদ পত্ৰ আৰু আলোচনীবোৰত এনে মৌলিক আলোচনাৰ বাবে কম ঠাই থাকে। এনে অৱস্থাত গহীন আলোচনীৰ প্ৰয়োজন বৰ বেছি। আনহাতে, ব্যক্তিগত উদ্যমক সমুহীয়া উদ্যমলৈ পৰিণত কৰিবলৈ বিশ্ববিদ্যালয় আৰু কলেজৰ সাহিত্যৰ বিভাগবিলাকে দায়িত্ব ল'লে ভাল হয়। বিশেষকৈ 'আধুনিকতা' সম্পৰ্কে আমাৰ চিন্তা পৰিষ্কাৰ হোৱা দৰকাৰ।

তুলনামূলক সাহিত্যৰ বিষয়টো আমাৰ বিশ্ববিদ্যালয়বোৰত খোলা হোৱা নাই। এনে অধ্যয়নে আমাৰ সাহিত্য-চিন্তাবোৰৰ ধাৰণা পৰিষ্কাৰ কৰাত সহায় কৰাৰ উপৰিও বিভিন্ন সাহিত্যৰ লগত অসমীয়া সাহিত্যৰ তুলনামূলক অধ্যয়নৰ ক্ষেত্ৰ মুকলি কৰিব। এই অধ্যয়ন আমাৰ ওচৰ-চুবুৰীয়া ভাৰতীয় সাহিত্যসমূহ আৰু আঞ্চলিক সাহিত্যসমূহক লৈ হ'লে পাৰস্পৰিক সাহিত্যিক সম্পৰ্কবোৰ পৰিষ্কাৰ হ'ব। অসমীয়া আৰু বঙালী সাহিত্যৰ মাজত আধুনিক কালত যি সম্পৰ্ক গঢ়ি উঠিছিল, সেই সম্পৰ্কৰ অধ্যয়ন হ'লে দুয়োটা সাহিত্যৰে ইতিহাসৰ নতুন সমল ওলাব পাৰে। সেইদৰে অসমীয়া-মৈথিলী, অসমীয়া-মণিপুৰী, অসমীয়া-উৰিয়া আৰু অসমীয়া-জনজাতীয় সাহিত্যসমূহৰো তুলনামূলক অধ্যয়নে আমাক ন ন সমল দিব পাৰে। বিভিন্ন সাহিত্যৰ কলা-ৰূপবোৰৰ বিকাশেও আমাক এইবোৰৰ বিষয়ে নতুন চেতনা দিব পাৰে।

আমাৰ সাহিত্যত 'আধুনিকতা'ৰ চেতনাৰ বিবৰ্তন ঘটিছে। এই বিবৰ্তনৰ প্ৰেৰণা যোগাইছে ঘাইকৈ ভাষাতাত্ত্বিক চিন্তাই। পঞ্চাশ দশকৰ কবিতাবোৰৰ মাজত দুটা মনোভাৱে ক্ৰিয়া কৰিছিল। এটা মনোভাৱ আছিল সামাজিক চেতনা বিশিষ্ট, আৰু ইটো আছিল আংগিক লৈ কৰা পৰীক্ষা-নিৰীক্ষা। কিছুমান কবি অৱশ্যে এই দুই প্ৰৱণতাৰ পৰা মুক্ত আছিল। এই সময়ৰ কবিতাবোৰত ন বিষয়-বস্তু আৰু ন ৰূপৰ সন্ধান চলিছিল, আৰু কবিতা লিখা ৰীতিত এটা ডাঙৰ পৰিবৰ্তন আহিছিল। ইতিহাস খুচৰিলে ইয়াৰ উৎপত্তি বিচাৰি ত্ৰিশৰ দশকলৈকো যাব লাগিব। বৰ্তমানৰ কবি আৰু সমালোচকসকলে এই কবিতাবোৰৰ গুণাগুণ পৰীক্ষা কৰিবলৈ লোৱাটো স্বাভাৱিক, কাৰণ ই নতুন সৃষ্টিৰ সহায়ক। বিশেষকৈ কবিতাৰ ভাষা আৰু সম্পৰ্কত তেওঁলোকে কৰা মন্তব্যবোৰ প্ৰণিধানযোগ্য। কিন্তু এই যুগৰ সাৰ্থক অথবা সম্ভাৱনাপূৰ্ণ কবিসকলৰ কাব্য-চিন্তা আৰু কিবতাবোৰ ঐতিহাসিক দৃষ্টিৰে সম্পূৰ্ণ মূল্যায়ন কৰা আৱশ্যক হৈ পৰিছে। এনে কৰিলে এই কালৰ কবিতাবোৰত থকা কাব্য-দৃষ্টি আৰু পৰীক্ষা-নিৰীক্ষাৰ তাৎপৰ্যও পোহৰলৈ আহিব। এই সময়ৰ কিবাতবোৰৰ এটি ভাল সংকলনৰ প্ৰয়োজন। এই কবিতাবোৰ সেই যুগৰ মনোভাৱেৰে পাঠকৰ আগত দাঙি ধৰিব পাৰিলে ভাল হয়। অকল কবিতাই নহয়, এই যুগৰ, কাহিনী সাহিত্য আৰু গদ্যবো সংকলন উলিওৱা আৱশ্যক। অৱশ্যে অসমীয়া সাহিত্যত আগৰ কুৰি শতিকাৰ দশককেইটাৰ সাহিত্য সংকলনবো অভাৱ। কিন্তু এইবোৰ গ্ৰন্থাকাৰে প্ৰকাশ কৰাহে সমিচীন হ'ব। এই সম্পৰ্কে প্ৰথম খণ্ডত পৰামৰ্শ আগবঢ়োৱা হৈছে।

আধুনিকতা প্রকৃতপক্ষে কি এই সম্পর্কে একমত হোৱা টান কাম। প্রগতিশীলতা সম্পর্কেও সেই একে কথা। কিন্তু এই ধাৰণা দুটা সম্পর্কে যিমান দূৰ পৰা যায় আমি পৰিষ্কাৰ হোৱা ভাল, কাৰণ এই ধাৰণাবোৰ আমাৰ বৰ্তমান সৃষ্টিৰ মাৰ্গদৰ্শনৰ সহায়ক বুলি ভবা হৈছে। ভাৰতৰ বিভিন্ন সাহিত্যতো সম্ভৱতঃ এই ধাৰা দুটাৰ বিষয়ে পৰিষ্কাৰ ধাৰণা নাই। আন্তর্জাতিক ক্ষেত্রটো আধুনিকতা আৰু প্রগতিশীলতাৰ মাজত এহাতেদি সংলাপ চলিছে, আৰু আনহাতেদি দুয়োপক্ষৰ সমালোচক আৰু সাহিত্যকৰ মাজত যুক্তিপূর্ণ বিতর্ক হৈছে। এইবোৰ কথা ইয়াত অৱতাৰণা কৰাৰ উদ্দেশ্য এটাই। আমি আমাৰ সাহিত্য সমালোচনা উচ্চ জ্ঞানৰ ভেটিত প্রতিষ্ঠা কৰিব লাগিব। মই ভাবো কবি বা ঔপন্যাসিকে যদি প্রকৃত শিক্ষা আৰু আত্ম শিক্ষাৰ ৰলেৰে জীৱন আৰু জগতৰ স্বৰূপ উপলব্ধি কৰি নিষ্ঠা-সহকাৰে গোটেই জীৱন আৰু জগতৰ স্বৰূপ উপলব্ধি কৰি নিষ্ঠা-সহকাৰে গোটেই জীৱন অভিজ্ঞতাক উপযুক্ত কলাৰ মাধ্যমেৰে প্রকাশ কৰিবলৈ সাধনা কৰে, তেন্তে তেওঁ ততালিকে নহ'লেও সাধনাৰ এটা স্তৰত সামগ্রিক সত্যক এক সুনন্দৰ ৰূপত প্রকাশ কৰিবলৈ সমর্থ হ'ব। এই দৃষ্টি আমাৰ বৰ্তমান অসমীয়া সাহিত্য সমালোচনাই দিব পাৰিবনে নোৱাৰে ক'ব নোৱাৰে। কাৰণ আমাৰ সমালোচনাই কাচিতহে লেখকক সৃষ্টিৰ পথ দর্শায়। এনে অৱস্থাত সাহিত্যিক বা শিল্পীয়ে নিজৰ নিজৰ সমালোচনক হোৱাৰ বাহিৰে গতি নাই। শিল্পী বা সাহিত্যিকৰ সৎ অন্তর্দৃষ্টিয়ে তেওঁক আধুনিকতাৰ আৰু প্রগতিশীলতাৰ ধাৰণা সাৰমর্মখিনি গ্রহণ কৰি নিজৰ জীৱন আৰু কলাৰ অভিজ্ঞতা বঢ়াই সার্থক সৃষ্টিৰ পথেদি যাবলৈ প্রেৰণা দিয়ে। সাহিত্যিকৰ সৃষ্টি সমস্যাৰ কথা সীমাবদ্ধ দৃষ্টিৰ সমালোচকে বাহিৰৰ পৰা ভুমুকিয়াই চাই ধৰিব নোৱাৰে। অবশ্যে সাহিত্য সমালোচনাৰ লগত সাহিত্যৰ এই বিচ্ছেদ সদায় নাথাকে। কালৰ বিবর্তনত বহুত অসম্ভৱো সম্ভৱ হয়। একোজন লেখক বা সমালোচকে নিজৰ কাল আৰু ইতিহাসক সম্পূর্ণ ৰূপে নুবুজিব পাৰে, কিন্তু তেওঁৰ লেখাৰ ধৰণ, বিষয়বস্তু, নন্দনতাত্ত্বিক, ধাৰণা (অথবা প্রবণতা), অমত আৰু অভিমত, গ্রহণবর্জন এইবোৰৰ মাজেদি কাল বা ইতিহাসৰ প্রতি নিজৰ মনোভাৱ প্রকাশ কৰে। এই কথাও ঠিক যে বৰ্তমান কালক বুজাও সহজ নহয়। বিজ্ঞানে অজ্ঞানৰ বহুত দুৱাৰ খুলি দিয়াত আমাৰ কাল, স্থান, বস্তুজগত, দেহ, মন, সমাজ আৰু সংস্কৃতিৰ ধাৰণাৰ পৰিবর্তন ঘটিছে আৰু এই পৰিবর্তনে আমাৰ চেতনা আৰু চিন্তাত থকা ন-পুৰণিৰ দ্বন্দ্ব বিশাল কৰি তুলিছে। এই দ্বন্দ্বই হ'ল আচলতে আধুনিকতা আৰু পৌৰাণিকতাৰ দ্বন্দ্ব। সমাজত প্রগতিৰ যি অর্থ সেই অর্থ সাহিত্য আৰু কলাত প্রয়োগ কৰিলে পৰিবেশ ৰচনা আৰু লেখকৰ সামাজিক স্থিতি সম্পর্কীয় প্রয়োজনীয় তথ্যবোৰ পোৱা যায়, আৰু সমাজ পৰিবর্তনৰ সহায়ক সাহিত্য আৰু কলা আদিৰ সৃষ্টিৰ তাৎপর্যও কিছুদূৰ ধৰিব পাৰি।

কিন্তু সাহিত্য সৃষ্টিৰ প্রক্রিয়া আৰু সাহিত্যৰ গুণাগুণ এই বৈখিক আৰু সামাজিক প্রগতিশীলতাৰ ধাৰণাৰে বিচাৰ কৰিব নোৱাৰি। এই ক্ষেত্রত গতি চক্রাকাৰ। ইংৰাজী সাহিত্যৰ ছোভিয়েত সমালোচক এজনে কৈছে : "চৰম বিচাৰত ঐতিহাসিক অভিজ্ঞতাই সাহিত্যৰ বিকাশ নির্ণয় কৰে। কিন্তু উপস্থিত মুহূর্ততে প্রক্রিয়াৰ এই ৰূপ প্রকাশ নেপায়। সাহিত্যৰ নিজা নিয়ম আৰু ঐতিহ্য আছে। এই নিয়ম ঐতিহ্যৰ প্রতি লেখকসকলে বিভিন্ন কালত বিভিন্ন মনোভাৱ ল'ব পাৰে। ইতিহাসৰ গর্ভত লুপ্ত হৈ যোৱা (বা যাব খোজা) কিছুমান মানুহ হঠাতে উপস্থিত কালত পোহৰলৈ আহে। পাহৰা ঐহিত্য হঠাতে আকৌ জীৱন্ত হয় আৰু আধুনিক সাহিত্যৰ গতিত প্রভাৱ পেলায়। যিসকল লেখকে মুষ্টিমেয় লোকৰ বাবে সাহিত্য ৰচনা কৰিছিলে, হঠাতে দেখিব আহল-বহল গণতান্ত্রিক পাঠক সমাজে তেওঁলোকৰ ৰচনা বুজি পোৱা হৈছে। এই সাথৰৰ সূত্র ধৰে কালেই। এই কথা কেতিয়াবা ব্যাখ্যা কৰা টান হৈ পৰে।" (ভি, স্কৰডেংকো)। কালৰ এই লীলা সাহিত্যত চক্রীয় গতিত মূর্ত হৈ পৰে। সৰল প্রগতিৰ ধাৰণা ইয়াত অচল।

সেইদৰে কবিতা আৰু উপন্যাস সৃষ্টিত লেখকে এনেকুৱা জটিল ৰূপৰ সম্মুখীন হয়। আধুনিক কবিতাত ভাষাৰ এটা সংস্কৃত ৰূপ দেখা যায়। শব্দৰ মাজেদি বিভিন্ন কালৰ ব্যঞ্জনা ফুটাই তোলা আৰু এইবোৰৰ সহায়েৰে বিভিন্ন প্রবণতা, বিভিন্ন স্তৰৰ অভিজ্ঞতা, আৰু মৌলিক মনোভাৱ একেলগে প্রকাশ কৰাৰ চেষ্টা আমাৰ কিছুমান অসমীয়া কবিতাতো ফুটি উঠিছে। ইয়াত বিভিন্ন ভাব-অনুভূতি প্রতীকি ৰূপত একত্রিত আৰু ঘণীভূত কৰা হয়। কবিতাত এই বহুৰূপী চিত্রকল্প-প্রধান চিন্তা এচাম আধুনিক কবিতাৰ লক্ষণ। অলপৰ যোগেদি সমস্তক প্রকাশ কৰা এন ৰীতিৰ কবিতাৰ বাক্যৰূপ আৰু ছন্দৰূপো সলনি হয়। এনে কবিতাবোৰে চিত্রকল্পৰ সংজ্ঞার্থলৈ মনত পেলায়। একেটা কালবিদ্যুত বিভিন্ন আবেগ আৰু ভাবৰ সমষ্টি য'ত সম্পূর্ণ

সমাবিষ্ট হয়, তাতে চিত্রকল্পই আত্মপ্রকাশ কৰে। চিত্রকল্প এনে কবিতাৰ বোধিপ্রধান ভাষাৰ প্রাণ। এই চিত্রকল্পত ছবি নাই, আছে বিভিন্ন ভাব আৰু অনুভূতিৰ এক সম্মিলিত ৰূপ। একেটা কালবিন্দুত বিভিন্ন কালৰ আৰু বিভিন্ন স্তৰৰ অভিজ্ঞতাৰ ব্যঞ্জনা প্রকাশৰ এই কলাকৌশল আধুনিক উপন্যাসতো পোৱা যায়। সাহিত্যৰ কলা কালৰ ওপৰত নির্ভৰশীল। আগৰ কবিতাৰ বর্ণনা অথবা উপন্যাসৰ আখ্যান ৰীতি ৰৈখিক আছিল। একে কালবিন্দুত বিভিন্ন কালৰ ব্যঞ্জনা বা ভাব-অনুভূতি সমাবিষ্ট কৰাৰ কৌশল অৱলম্বন কৰাৰ ফলত আমি এক বেলেগ ধৰণৰ কবিতা আৰু উপন্যাস পালোঁ। এই চিত্রকল্পবাদ মূলতঃ প্রতীকবাদৰে বিকশিত ৰূপ যেন বোধহয়। শব্দৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ ফলত শেষত এটি নতুন সাহিত্য দর্শনৰে জন্ম হয়গৈ, যিটোক 'ছেমাণ্টিক দর্শন' বোলা হয়। আমাৰ ইয়াত কলাক কেৱল ভাষা ৰূপে কল্পনা কৰা দর্শনে থিতাপি লোৱা নাই। ইয়াত এনে ভাবৰ প্রভাৱ প্রায়োগিক দিশতে সীমাবদ্ধ।

আধুনিক কবিতাৰ এই ধাৰাটো বর্তমান চলি আছে, কিন্তু লগতে প্রগতিশীল কবিতা আৰু এই দুই ধাৰাত নপৰা কবিতাৰ ধাৰাটোও চলি আছে। পিছৰ দুয়োবিধ কবিতাৰ কলা কাল-ভিত্তিক, কাজেই আপেক্ষিক অর্থত জটিলতা ৰহিত। আমাৰ প্রগতিশীল কবিতাৰ ধাৰাটোত কলাগত বৈচিত্র্য কম। এই কবিতাবোৰৰ আদর্শ হ'ল জনসাধাৰণৰ বোধগম্য কবিতা ৰচনা আৰু কাব্যিক ৰূপত মানুহৰ সমাজৰ প্রতি নিজৰ মনোভাব প্রকাশ কৰা। এগৰাকী ছোভিয়েত কবিয়ে দাবী কৰিছে যে "কবি প্রকৃতপক্ষে আধুনিক হ'বলৈ হ'লে তেওঁৰ কিতাপৰ বিষয় হ'ব লাগিব কর্ম, বনুৱা পুৰুষ আৰু নাৰী, আমাৰ সমসাময়িক মানুহ। এইবোৰ বিষয় তেওঁ সম্যক দৃষ্টিৰে তুলি ধৰিব লাগিব।"(চিন্‌ঘিজ এইমাতোভ)। অৱশ্যে সকলো প্রগতিশীল কবিয়েই এই দৃষ্টি গ্রহণ নকৰিবও পাৰে। সেইদৰে ষ্টাইলো বেলেগ বেলেগ হ'ব পাৰে। মানৱতাৰ অন্তৰতম বাণী আধুনিক কলা-কৌশলত প্রকাশ কৰিবলৈ মন কৰা কবিয়েও নিজকে প্রগতিশীল বুলি দাবী কৰা দেখা যায়। নিৰক্ষৰৰ সমাজত জনসাধাৰণক কবিতাৰ শ্রোতা কৰিবৰ বাবে কথিত কবিতাৰ আর্হি গ্রহণ কৰাৰ দৃষ্টান্ত বর্তমানৰ প্রগতিশীল কবিতাত বিৰল। পাব্‌লো নেৰুদাই দক্ষিণ আমেৰিকাৰ নিৰক্ষৰ জনতাৰ কাষ চাপিবলৈ এনে পথ লৈছিল। তেওঁৰ মন্ত্র আছিল ঃ "I ut'er and I am"।

অসমীয়া কাহিনী সাহিত্য—(চুটিগল্প আৰু উপন্যাস) আৰু নাট্য সাহিত্য দুয়োটাই বাস্তৱবাদৰ বিভিন্ন ধাৰাকে প্রধানতঃ অনুসৰণ কৰিছে যেন বোধহয়। ক্ষেত্র বিশেষে উপন্যাস আৰু চুটি গল্পত চেতনা-স্রোতৰ আংগিক ব্যৱহাৰ আৰু নাটকত জীৱনৰ অনর্থকতাৰ চিত্রন দেখা যায় বুলি সমালোচক সকলে কৈছে। এই মন্তব্যবোৰ সত্য হওক নহওক, উপন্যাস আৰু নাটকত সাহিত্যিক পৰীক্ষা-নিৰীক্ষাৰ (আংশিকভাৱে হ'লেও) আভাস পাওঁ। কিন্তু কবিতাৰ দৰেই এই দুই কলা-ৰূপৰ ক্ষেত্রতো কালৰ ধাৰণা নতুন কৰাৰ, বা জীৱনৰ অনর্থকতা উপলব্ধি কৰাৰ কোনো গভীৰ দার্শনিক কাৰণ বিচাৰি উলিওৱা টান। জীৱনৰ অনর্থকতা আৰু কালৰ ধাৰণাৰ পৰিবর্তনৰ সামাজিক বা দার্শনিক কাৰণ থাকিব পাৰে, কিন্তু পশ্চিমীয়া দেশত গভীৰ আধ্যাত্মিক সংকট হোৱাৰ মূলতে হ'ল বিভিন্ন বিজ্ঞান সমূহৰ মানৱ মনৰ ওপৰত পৰা সামূহিক প্রভাৱ। এজন নাট সমালোচকে লিখিছে?

"মাইক্র-ফিজিক্সৰ পৰা পোৱা ইংগিত মতে কেইবিধমান শক্তিৰ মাজত বিপৰীত ধর্মৰ লক্ষণ (যেনে ঢউ আৰু কণিকাৰ ৰূপ) দেখা পোৱা যায়। কোৱাণ্টাম পদার্থ বিজ্ঞানেও 'অযুক্তিকৰ অসম্ভৱ ঘটনা (ঘটিছিল বা) ঘটা সম্ভৱ বুলি কয়। আনবিক বিজ্ঞানৰ পৰা পোৱা সাক্ষ্য মতে কাৰণ নোহোৱাকৈ ফল হ'ব পাৰে আৰু অবস্তুৱ (rotling) পৰাও আপোনা-আপুনি বস্তুৱ বা দৃশ্যৱ (phen mena) উৎপত্তি ঘটিব পাৰে। আইনষ্টাইনে ইউক্লিডৰ জ্যামিতি আৰু স্থান-কালৰ যুক্তিসংগত ধাৰণা অকাজুৱা কৰিলে। বৈজ্ঞানিক আৰু বুদ্ধিধাৰী নৈয়ায়িকৰ বাবে এই বিভিন্ন আৱিষ্কাৰবোৰৰ যথার্থ তাৎপর্য অপ্রাসংগিক। প্রাসংগিক কথা হ'ল এই ধাৰণাবোৰে সাধাৰণ শিল্পী আৰু বুদ্ধিজীৱিৰ মনত কিহৰ সাঁচ বহুৱায়! মনত বহা ই সাঁচৰ ফলত স্বৰূপেই যুক্তিনিষ্ঠ চিন্তাৰ আধাৰত বৈপ্লৱিক পৰিবর্তন ঘটিছে। এই চিন্তাৰ পৰিবর্তনত ইন্ধন যোগাইছে বৈজ্ঞানিক সকলে। দুর্ভাগ্যবশতঃ সৌ সিদিনালৈকে তেওঁলোক যুক্তিবাদৰ প্রবল সমর্থক বুলি পৰিগণিত হৈছিল।"

সামাজিক বিজ্ঞানবোৰবো প্রভাৱ সদায় শুভ নহয়। সমাজ বিজ্ঞানে কেতিয়াবা অসমতাপূর্ণ সমাজৰ ঠাইত সমতাপূর্ণ সমাজ প্রতিষ্ঠা কৰিবলৈ প্রেৰণা নিদি মানুহৰ পৰা মানুহক বিচ্ছিন্নহে কৰে। মনোবিজ্ঞানে মনোবিকাৰ নুশুচাই মনক ঈর্ষাপূর্ণহে কৰে। মানুহক প্রকৃতিৰ আৰু মানুহৰ বিবিধ দাসত্বৰ পৰা মুক্ত কৰাত সহায়ক হওক চাৰি টেকন'লজি হৈ পৰে, মানুহৰ সামূহিক আত্মহত্যাৰ বাবে ব্যৱহৃত অস্ত্রসমূহ নির্মাণৰ সহায়ক। এনে অৱস্থাত বিকল সমাজত মানুহে বিৰাগ বা বিচ্ছিন্নতা অনুভৱ কৰে।

প্রতিকাৰহীন ৰাষ্ট্ৰীয় হিংসা অথবা গণ হিংসাৰ সময়তো মানুহে তেনে বিৰাগ অনুভৱ কৰে। এনেবোৰ সময়ত মানুহে তেনে বিৰাগ অনুভৱ কৰে। এনেবোৰ সময়ত মানুহে কয় পাৰমার্থিক উত্তৰণৰ কথা ভাবে নহয় গভীৰ অৱসাদ অনুভৱ কৰে। কিন্তু ঈশ্বৰ বিশ্বাস যাৰ নোহোৱা হ'ল, তেওঁ কিহত উত্তৰণ বিচাৰিব? কলাত? নে নব্য আধ্যাত্মিকতা? নে বিপ্লবত? নে শূন্যবাদত বা অৱস্থিতিবাদত? নে Living Transccndence ত ?

বর্তমান ধনতান্ত্রিক সভ্যতাৰে নহয় ছোভিয়েত সভ্যতাতো মানুহে বিজ্ঞান আৰু প্রযুক্তিবিদ্যাই পেলোৱা প্রভাৱ সমূহৰ সন্মুখীন হৈছে। সহ-অৱস্থান আৰু শান্তিৰ আশা-আকাংখাৰ মাজেদি পৃথিবীক যুদ্ধ আৰু অস্ত্রমুক্ত কৰাৰ আৰু মানুহ বাচি থকাৰ সমস্যাই তাতো মানুহৰ মন আলোড়িত কৰিছে। তাৰ কবি আৰু সাহিত্যিক সকলৰ ৰচনাত এই সম্পর্কে বিপুল উদ্বিগ্নতা আৰু যন্ত্রণা প্রকাশ পাইছে। তেওঁলোকৰ আন যন্ত্রণাও আছে। তেওঁলোকে ষ্টেলিন যুগৰ ত্রাসৰ যন্ত্রণাও সহ্য কৰিব লগা হৈছিল, যাৰ কথা ছলঝেনিং-সিনৰ উপন্যাসসমূহত পোৱা যায়। পোলেণ্ড আৰু চীন আদি দেশতো লেখকসকলে ভিন্ন মতাৱলম্বী লেখকসকল স্বাধীনতাৰ সমস্যাৰ সন্মুখীন হৈছে। এইবিলাক সমস্যাৰ স্বৰূপ এই নতুন সমাজ ব্যৱস্থাৰ ভিতৰুৱা সমস্যা।

এইবোৰ সমস্যাৰ গুৰুত্ব উপলব্ধি কৰি আমি সম্যক দৃষ্টিৰে মানুহৰ উমৈহতীয়া সমস্যাবোৰৰ সন্মুখীন হ'ব লাগিব আৰু কেনেকৈ এখন যুদ্ধবিহীন, শান্তিপূর্ণ, আৰু সহযোগিতাৰ ভাৱৰ দ্বাৰা পৰিচালিত নতুন পৃথিৱী ৰচনা কৰিব পাৰো তাৰ চিন্তা কৰিব লাগিব। এনে পৃথিবীৰ ৰচনা কৰিব পাৰো তাৰ চিন্তা কৰিব লাগিব। এন পৃথিবীৰ আর্থসামাজিক ব্যৱস্থা কেনে হ'ব, মানৱৰ বাঞ্ছিত মূল্যসমূহ (ন্যায়, সমতা, প্রেম, মুক্তি, সত্য আৰু সৌন্দর্য আদি) দৈনন্দিন জীৱনৰ অংশ হ'ব নে নহয়, আৰু ৰাষ্ট্ৰৰ কঠোৰ নিয়ন্ত্রণৰ ঠাইত স্ব-নিয়ন্ত্রণ ব্যৱস্থা প্রৱর্তন হ'ব নে নহয় এইবোৰ নির্ভৰ কৰে মানুহৰ ব্যক্তি আৰু জনশক্তিৰ সম্যক বিকাশৰ ওপৰত। বর্তমান যুগটো সম্পূর্ণ ক্রান্তিৰ যুগ। লেখকসকলে জটিল পৰিস্থিতিৰ সন্মুখীন হৈ নিজৰ কলাৰ মাজেদি মানুহৰ মনত সুচেতনা জগাই মানুহক যদি পৃথিবী আৰু ন মানুহৰ ভাবমূর্তি দিব পাৰে, তেন্তে তেওঁলোকে নতুন সাহিত্যৰ সেন্দুৰীয়া পথো নির্মাণ কৰিব পাৰিব।

অসমীয়া উপন্যাস সাহিত্য আৰু নাটকৰ সাধাৰণ ৰূপটো বাস্তৱবাদৰ। উপন্যাস কলা জীৱনৰ সামগ্রিক বাস্তৱতাৰ সম্যক প্রকাশৰ অধিক উপযোগী। উপন্যাসৰ আখ্যান প্রকৃত পক্ষে বাস্তৱতাৰ মূলবস্তুৰ সহায়েৰে গঢ়ি তোলা এখন ক্ষুদ্র পৃথিৱী, য'ত মানৱ সম্পর্কৰ স্বৰূপ আৰু মানুহৰ এটি সুন্দৰ ভাৱমূর্তি প্রকাশ পায়। এই স্বৰূপ আৰু ভাৱমূর্তিৰ মাজেদি লেখকে বাস্তৱতাৰ অসন্তুলিত আৰু জটিল ৰূপক সন্তুলিত কৰিবলৈ চেষ্টা কৰে। এই সন্তুলিত ৰূপতেই সৌন্দর্যও প্রকাশ পায়। ইয়াৰ মাজেদি যিবোৰ প্রমূল্য প্রকাশ পায়, সেই বোৰতেই বর্তমান পৰিস্থিতিৰ সমালোচনা আৰু বাঞ্ছনীয় পৰিবর্তনৰ অভিলাষ প্রকাশ পায়। নাটকত এই ভাব বচন, দৃশ্য-সজ্জাৰ আৰু অভিনয়ৰ মাজেদি প্রকাশ পায়। নাটক চাক্ষুষৰ কলা, ইয়াৰ বিকাশৰ সম্ভাৱনা সম্পর্কে অসমীয়া ভাষাত আলোচনা হৈছে, আৰু সামাজিক বাস্তৱতাৰ বিভিন্ন দিশ প্রকাশৰ বাবে ৰংগ-মঞ্চ কলাৰো বিকাশ সাধন হৈছে। শম্ভু মিত্রই এঠাইত লিখিছে যে বর্তমান ভাৰতীয় ৰংগ-মঞ্চৰ প্রয়োজন গভীৰ আৰু ব্যংগ ধর্মী নাটৰ। শতিকাৰ আগছোৱাত অসমীয়া গদ্যত হাস্যৰসাত্মক আৰু ব্যংগধর্মী ৰচনাৰ প্রতিপত্তি আছিল, আজি নাই। ইয়াৰ কাৰণ ৰচনাৰ উপকৰণৰ অভাৱ নহয়, সম্ভৱতঃ জটিল সামাজিক পৰিস্থিতি আৰু লেখকসকলৰ দ্বিধাগ্রস্ত মনোভাৱ। সমাজ পৰিবর্তনৰ মূল্যবোধ বা নাটকত বর্তমান জটিল বস্তুৱতা প্রকাশ কৰাৰ বাবে কি ধৰণৰ নাট্যকলাৰ প্রয়োজন তাক নাটঘৰৰ নাগৰিকসকলে খৰচি মাৰি আলোচনা কৰা ভাল।

ৰোলছবি, সংগীত আৰু অন্যান্য কলাৰ লগত অসমীয়া সাহিত্যৰ সম্পর্ক গঢ়াৰ চেষ্টা চলি আছে। কিন্তু তাত্বিক আৰু সৃষ্টিমূলক আদান-প্রদানৰ ক্ষেত্রত, সাহিত্যৰ সৈতে ইবিলাক কলাৰ যোগাযোগ এতিয়াও অতি সামান্য। বর্তমান যুগত কবিতাই চিত্রকলা আৰু সংগীতৰ ওচৰ চাপিবলৈ অভিলাষ কৰিছে। চিত্রকলা আৰু ভাস্কর্য কলা-ভিত্তিক কলাৰ কাষ চাপিব খুজিছে। বিভিন্ন কলা ৰোলছবিত একত্রিত হৈছে। আধুনিক গীত আৰু কবিতাৰ সাময়িক বিচ্ছেদ ঘটিলেও দুয়োটাৰে মিলনৰ অভিলাষো আছে। ৰোলছবি আৰু কাহিনী সাহিত্যৰো সম্পর্ক প্রায় তদ্রূপ। নৃত্য কলা আৰু শাস্ত্রীয় সংগীতৰ লগত সাহিত্যৰ সম্পর্ক এতিয়াও অতর্কিত। অৱশ্যে সুকুমাৰ কলাৰ চর্চা আমাৰ সাহিত্যত আৰম্ভ হৈছেহে, আৰু সত্রীয়া নৃত্য, ৰবগীত, চিত্রকলা আদিৰ বিষয়ে গদ্য পুথি বা নিবন্ধ ওলাইছে। বিভিন্ন কলাৰ বিষয়ে আমাক মৌলিক পুথিৰ আৱশ্যক। তদুপৰি এইবিলাকৰ বিকাশৰ

সমস্যা আলোচনা কৰিবলৈ আলোচনী আৰু চৰ্চা-কেন্দ্ৰবো প্ৰয়োজন। বিশেষকৈ শাস্ত্ৰীয়, দেওধনী, ওজাপালী আৰু দেৱদাসী আদি উচ্চাংগ নৃত্যবোৰৰ শিক্ষাৰ বাবে মৌলিক গ্ৰন্থৰ অভাৱ পূৰণ কৰিব নোৱাৰিলে এই নৃত্য শিক্ষাই কবন্ধৰ ৰূপ লোৱাৰ সম্ভাৱনাই অধিক। জনজাতীয় আৰু খেতিয়কৰ কলা বিষয়েও আমাক সাহিত্যৰ আৱশ্যক। আমাৰ অংকীয়া নাট আৰু লোকনাটসমূহৰ কথাও এই ক্ষেত্ৰত স্মৰণীয়। এই কলাবোৰ আমাৰ আধুনিক শিল্পীবোৰৰ ঐতিহ্য স্বৰূপ। গতিকে এই বিলাকৰ পৰা তেওঁলোকে আৱশ্যকীয় প্ৰেৰণা লৈ জাতীয় কলা নিৰ্মাণৰ পথ প্ৰশস্ত কৰিব পাৰিব যেন লাগে।

আজি পৃথিৱীৰ দুই/তৃতীয়াংশ লোক অভূতপূৰ্ব নৱজাগৰণৰ পথত। আমি অসমীয়াসকলো তাৰ ভিতৰত পৰিছোঁ। আমাৰ নানান সমস্যা আছে। এই সকলোবোৰ পৰিবেশ ৰচনা আৰু জীৱনক সংগঠিত কৰাৰ সমস্যা। আজিৰ পৰিবেশ সৃষ্টি আৰু আবিষ্কাৰৰ সম্পূৰ্ণ অনুকূল হৈ পৰা নাই। কিন্তু সৃষ্টি আৰু আবিষ্কাৰেই মানুহৰ জীৱনৰ বা জীয়াই থকাৰ অন্তিম সাৰ্থকতা। আমি নিৰাশ হ'লে বা খঙাল হ'লেও নচলিব। বৰ্তমান অসম আন্দোলন যেন এখন আচী। আমি আজি আমাক তাত ফট্‌ফটীয়াকৈ দেখিবলৈ পাইছোঁ। এই সময়ত আমি এটা কথা পাহৰিলে নচলিব। সৰু জাতিৰ জীয়াই থকাৰ একমাত্ৰ উপায় হ'ল সকলোৱে নিজ নিজ ক্ষেত্ৰত শ্ৰেষ্ঠত্ব আৰ্জন কৰিবলৈ যত্ন কৰা। সমাজ পৰিবৰ্তন অথবা বিদেশী নাগৰিকৰ ওপৰত হোৱা আন্দোলনৰ মাজতো এই কথা পাহৰিলে নচলিব। পৰিৱেশ ৰচনাৰ কাম আৰু সৃষ্টি বা আবিষ্কাৰৰ কাম পৰস্পৰ বিৰোধী নহয়।

সামৰণি ঃ

আমি যি অঞ্চলত সভা পাতিছো এই অঞ্চলত ভালেমান জনগোষ্ঠীৰ বাস, কিন্তু সকলো একেটি জাতীয় বান্ধোনত বান্ধ খোৱা। এই বান্ধোন যাতে ছিগিব নোৱাৰে তাৰবাবে আমি সাংস্কৃতিক দিশত কিছুমান কাম হাতত লোৱা উচিত। এই অঞ্চলৰ লোক সংস্কৃতিৰ চৰ্চা আৰু সম্পদসমূহৰ সংৰক্ষণ, জনজাতীয় ভাষা সমূহৰ লগত ভাতৃত্বমূলক সম্পৰ্ক স্থাপন, গাঁৱে-ভূঞে থকা পুথি, মুদ্ৰা, ফলি আৰু সাংস্কৃতিক থানসমূহৰ বিৱৰণীমূলক তালিকা ৰচনা আৰু সেইবোৰৰ সংৰক্ষণ,—এই বিলাক কাম স্থানীয় সাহিত্য সভাসমূহে বিশেষজ্ঞ আৰু জনা বুজা লোকসকলৰ সহায় লৈ সমাধা কৰা উচিত। আৰু এটা কথা এইখিনিতে কোৱা প্ৰয়োজন। কোচবেহাৰ অঞ্চল বেলেগ ৰাজ্যত পৰিলেও এই অঞ্চলৰ লগত আমাৰ নিবিড় সাংস্কৃতিক সম্পৰ্ক আছে। এই সম্পৰ্ক অকল ৰক্ষা কৰাই নহয়, তাক বঢ়াবও লাগিব। পুৰণি কোচবেহাৰ মহাৰজাৰ বিখ্যাত পুথি-ভঁৰালত বহুত অসমীয়া আৰু অসম সম্পৰ্কীয় পুথি আছে। এই পুথিভাঁৰালটো সুসংৰক্ষিত হ'ব লাগে, আৰু তাত থকা আপুৰুগীয়া পুথিসমূহৰ ফট'লিপি অসম ৰাজ্যিক পুথিভঁৰাললৈ অনাৰ দিহা কৰা উচিত। এই বিষয়ত পশ্চিমবংগ চৰকাৰৰ বিশেষ দায়িত্ব আছে। অসম চৰকাৰৰো দায়িত্ব কম নহয়। "মধুপুৰ" সত্ৰ আৰু মহাপুৰুষসকলৰ স্মৃতিবিজড়িত স্থানসমূহৰ সুসংৰক্ষণ আৰু প্ৰতিপালনৰ বিষয়টো লৈ চৰকাৰ দুটাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

ভবা ধৰণে অভিভাষণ লিখিব নোৱাৰিলো। ওপৰত উল্লিখিত প্ৰত্যেকটো বিষয়ৰ বাবেই বিশিষ্ট জ্ঞানৰ আৱশ্যক। আনহাতে কাল অস্থিৰ। অসমৰ আজি যি অৱস্থা, তাত গোটেই বিশ্বৰ অৱস্থা প্ৰতিফলিত হৈছে। পিণ্ডত যেন ব্ৰহ্মাণ্ড প্ৰকাশ পাইছে। লগতে অনুভৱ কৰিছো 'মৃত্যুঞ্জয়'ত চিত্ৰিত কালৰ লগত বৰ্তমানৰ কালৰ সাদৃশ্য আছে। কেতিয়াবা বুৰঞ্জীৰ পুনৰাভিনয় হৈছে বুলিও ভুল হয়। এফালে প্ৰবল ৰাষ্ট্ৰীয় হিংসা। উপন্যাসখনত এই হিংসাৰ প্ৰতীক ইন্সপেক্টৰ শইকীয়া আৰু মেজৰ ফিন্স। এই হিংসাই সন্ত্ৰাসবাদী বা বৈপ্লবিক হিংসাৰ জন্ম দিছে। এই হিংসাৰ প্ৰতীক কামপুৰীয়া, ৰেল বগৰোৱা, নিভীক, সংস্কাৰমুক্ত মুক্তি যুঁজাৰু ধনপুৰ। ধনপুৰ প্ৰাত্যাহিক কালৰ প্ৰতিনিধি; ৰূপনাৰায়ণ ঐতিহাসিক কালৰ আৰু মহদা পাৰমার্থিক বা মহাকালৰ। ইন্সপেক্টৰ শইকীয়া আৰু ধনপুৰ কোনো হিংসাৰ বাবে অনুতপ্ত নহয়। কিন্তু ৰূপনাৰায়ণ আৰু মহদা দুয়ো হিংসাৰ সীমাৱদ্ধতা দেখা পাইছে। মানুহৰ তেজেৰে কোনো স্থায়ী মন্দিৰ গঢ়িব নোৱাৰি। ধনপুৰৰ দৰে কেৱল 'অন্ধকাৰত অন্ধ' হ'লেই নহয়, মৰামৰি-কটাকটিয়ে অনা সিদ্ধিয়ে ভাল মানুহ সৃষ্টি কৰাৰ পৰিবেশ গঢ়িবনে নগঢ়ে, তাকো আমি ভবা উচিত। ইতিহাস অথবা মানৱ প্ৰকৃতিয়েই সকলো নহয়, এই বিলাকৰ সীমাৱদ্ধতা উপলব্ধি কৰি লেখক আৰু শিল্পীয়ে পন্থাৰ সংস্কাৰ আৰু মুহূৰ্তত অনন্তৰ উপলব্ধিৰ বাবে মানুহক চেতনাৰ বিপ্লৱৰ পথো দৰ্শোৱা উচিত। কোনো ভাল লক্ষ্য বেয়া উপায়েৰে সাধন কৰিব নোৱাৰি, কাৰণ উপায় হ'ল লক্ষ্যৰ ব্যৱহাৰিক ৰূপ।

মই ভাবো বিশ্ববো সমস্যা আজি এইটোৱেই। বিশ্বই আজি হিংসাৰ আৰু যুদ্ধৰ বিকল্প বিচাৰিছে। বিদেশী নাগৰিকৰ

আন্দোলনটো আমাৰ দেশৰ আভ্যন্তৰীন সমস্যা। এইটো গণতান্ত্রিক উপায়েৰে সমাধান কৰিব পৰা বিষয়। দমন, নির্যাতন, মৰা, ঘৃণীয়া কৰা, প্রতিশোধ লোৱা, অপপ্রচাৰ, চৰিত্র হনন—এইবোৰ দৈহিক আৰু মানসিক হিংসাৰ নিকৃষ্ট ৰূপ, গণতন্ত্রৰ সমাধি। ৰাষ্ট্রৰ হিংসা আৰু তাৰ প্রতিক্রিয়া স্বৰূপে হোৱা বা আপোন মনে কৰা সন্ত্রাসবাদী বা বৈপ্লবিক হিংসা সমাজখনৰ সামূহিক অসংযমৰ পৰিচায়ক। আনবিক অস্ত্র ওলাবৰ দিন ধৰি পৃথিবীত অস্ত্রৰ কাল একৰকম উকলিল। আমি গান্ধীজীৰ পন্থাৰে অর্থাৎ পুঁজিবাদ-সাম্যবাদ, দাৰিদ্র, সাংস্কৃতিক বিকাশ আৰু ক্ষুদ্র জাতিৰ সমস্যা আদি সমস্যাবোৰ সংলাপ আৰু সত্যাগ্রহৰ পন্থাৰে সমাধান কৰিবলৈ প্রবল জনমত তৈয়াৰ কৰা উচিত। বিশ্বৰ বুদ্ধিজীৱীসকলৰ একাংশই এই কথা উপলব্ধি কৰিছে। কাৰণ আচল শক্তি অস্ত্রৰ গাত নেথাকে, অস্ত্রধাৰী আৰু অস্ত্রৰ ব্যৱহাৰ নীৰৰে সমর্থন কৰা মানুহজনৰ গাত থাকে। তেওঁৰ মনত প্রথমতে বিপ্লৱ আৱশ্যক। এই বিপ্লৱ হ'ব লাগিব মূল্যবোধৰ বিপ্লৱ।

আমি লেখক আৰু শিল্পীসকলে হিংসাৰ বিৰুদ্ধে বিদ্রোহ কৰিব লাগিব, কাৰণ আজিৰ পৃথিবীত হিংসাৰ অর্থ সামূহিক আত্মহত্যা, ৰাষ্ট্রৰ হিংসাৰ অর্থনৈতিক অন্তসাৰশূণ্যতা আৰু-গণতন্ত্রৰ অৱসান। অস্ত্রতকৈ মানৱাত্মা যে অধিক শক্তিশালী এই কথা উপলব্ধি কৰা কোনো লোকেই আন্দোলনৰ পন্থা বা সমস্যা মীমাংসাৰ উপায় বিচাৰি পৰম্পৰাগত ইতিহাসৰ বা হিংসাৰ মহিমা প্রচাৰ কৰা সাহিত্যৰ ওচৰলৈ নেযায়। যুদ্ধ আৰু হিংসাৰ বিকল্প যদি নায়ো, তাক আমি উলিয়াবলৈ যত্ন কৰিব লাগিব। এইটোৱেই হৈছে আজি মৌলিক কর্তব্য। ধনপুৰ 'অন্ধকাৰত অন্ধ' হৈছিল আৰু সেইবাবে উপস্থিত কর্তব্য সাধনৰ বাবে হিংসাকে সাৰোগাত কৰি লৈছিল। এই হিংসাৰ আজি আমি বিকল্প বিচাৰিছো, কাজেই ধনপুৰৰ এই চিন্তাবোৰ গ্রহণ কৰা টান। কিন্তু তেওঁৰ কিছুমান ভাৱ অস্ত্রবিহীন পন্থাৰ (সংলাপ, গঠনমূলক কাম আৰু সত্যাগ্রহ) ক্ষেত্রতো প্রযোজ্য ঃ

"আমি আমাৰ কাম কৰিব লাগিব। কাম কৰোতে যি হয় হওক। দৰকাৰ হ'লে আমি মৃত্যুকো জয় কৰিব লাগিব। ..... কিবা যদি হয় মানুহে গা লৰালেহে হয়। নতুন ঘাটত নকৈ নাও মেলিব লাগিব।"

এইটো মানৱাত্মাৰ বাণী, অস্ত্রবিহীন পন্থাৰে তাক আমি কর্মলৈ ৰূপায়িত কৰিব লাগিব। বর্তমান অসমৰ আন্দোলনটোক হিংসাৰে দমন কৰা বা হিংসাৰে তাৰ এটা মীমাংসা কৰা টান। সংলাপৰ যোগেদিহে এই সমস্যাৰ সমাধান কৰিব লাগিব। তাৰ পৰিবেশ ৰচনাৰ বাবে ৰাষ্ট্র, আন্দোলনৰ নেতৃবর্গ আৰু ৰাইজ সকলো পক্ষই মিলি তৈয়াৰ কৰা পন্থাই শ্রেষ্ঠ পন্থা। তাৰ বাবে লাগে প্রকৃত সংলাপ, একপক্ষীয় প্রচাৰ কার্য নহয়।

আমি স্থিতিশীলতাৰ ভেটিত কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰো। আমি বর্তমানৰ জাতীয় চেতনাক এক নৱজাগৰণৰ কর্মসূচীলৈ ৰূপান্তৰিত কৰিব লাগিব। অন্ধকাৰত অন্ধ নহৈ আমি পোহৰৰ সন্ধান কৰিম। মিলি আৰু মিলাই আমি অগ্রগতিৰ পথ ৰচিম। অসমীয়া জাতি সৰু জাতি। সৰু জাতি উধোৱাৰ পথ এক মাত্র সংহতিয়েই নহয়, প্রত্যেকজনেই সচেতন ভাৱে নিজ নিজ ক্ষেত্রৰ তাৎপর্যপূর্ণ কামত শ্রেষ্ঠত্ব অর্জন কৰাও। এই শ্রেষ্ঠত্ব লাভৰ পথ আবিষ্কাৰ আৰু সৃষ্টিৰ পথ। তাৰ বাবে সমূহীয়া মন আৰু ব্যক্তি মনৰ সমন্বয় সাধন হ'ব লাগিব। বাণীকান্তই লিখিছিল, মহাপুৰুষ শংকৰদেৱ এজন পূর্ণ ৰসজ্ঞ লোক আছিল। গীত গাওঁতে অভিনয় কৰোতে, বিৰোধীৰ লগত তর্ক যুদ্ধত প্রবৃত্ত হওঁতে তেওঁ মানসিক সমতা বা বুদ্ধি-বিবেচনা হেৰুওৱা নাছিল। শৰীৰ আৰু মনৰ এই সমন্বয় সাধনেই হ'ল সকলো মহৎ কাম সমাধানৰ প্রথম খোজ। আমি যেন প্রত্যেকেই এনে সন্তুলিত ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰো। তেহে আমি জীৱন-যুদ্ধত জয়ী হৈ অসমীয়াৰ জাতীয় বিকাশক ভাৰতৰ ৰাষ্ট্রীয় বিকাশ আৰু পৃথিবীৰ মানুহৰ বিকাশৰ সৈতে ভাবৰ ঐক্য-সূত্রেৰে লগ লগাই আমাৰ সাধনাক অর্থপূর্ণ কৰি তুলিব পাৰিম।

এইখিনি কথাৰেই ৰাইজলৈ সেৱা জনাই বিদায় মাগিলোঁ।

-- ✱ --

একপঞ্চশত্তম অধিবেশন

বিহপুৰীয়া, ফেব্রুৱাৰী, ১৯৮৫ চন

যোগেশ দাস

শ্রীশ্রীমাধৱদেৱ জন্মস্থান লেটেকু পুখুৰী আৰু শ্রীশ্রীঅনিৰুদ্ধদেৱৰ থান নাহৱবাৰীৰ পৱিত্র প্রভাৱপুষ্ট বিহপুৰীয়াৰ এই জাতীয় মিলনক্ষেত্রত আহি সমবেদত হোৱা সমূহ ৰাইজলৈ প্রথমেই শ্রদ্ধা জনালোঁ। আপোনালোকৰ বহুতেই আমাক শুভেচ্ছা জনাই লিখা চিঠি-পত্রত অসমৰ সংকটপূর্ণ অৱস্থাৰ কথা উদ্বেগ প্রকাশ কৰিছে। অসমৰ বিভিন্ন ভাষাৰ উন্নতি সাধন আৰু সাংস্কৃতিক জীৱনত অন্তৰায়ৰ সৃষ্টি হ'লে তাৰ দূৰীকৰণ— অসম সাহিত্য সভাৰ অন্যতম প্রধান উদ্দেশ্য। এই কাৰণেই নিশ্চয় আপোনালোকে অসমৰ সংকটপূর্ণ অৱস্থাৰ অৱসান সাহিত্য সভাৰ যোগেদি হোৱাটো বাঞ্ছা কৰিছে। ৰাইজৰ বলেই সাহিত্য সভাৰ বল। এই জটিল কামটো যে সহজসাধ্য নহয় এই কথা আমি সকলোৱে যোৱা পাঁচ বছৰে লক্ষ্য কৰি আহিছো। তথাপি সাহিত্য সভাই পার্যমানে চেষ্টা কৰি আহিছে। 'পার্যমানে' বোলাৰ অর্থ এয়ে যে জটিল আৰু কঠিন কামটো সাহিত্য সভাই অকলে কৰি উঠা কাম নহয়। সভাৰ নিয়মাৱলী, ইয়াৰ ঐতিহ্য, ইয়াৰ প্রকৃতি ইত্যাদিয়ে ইয়াৰ কাম-কাজ কিছু সীমাবদ্ধ কৰি ৰাখিছে। তথাপি ৰাজ্যভাষা, ৰাজ্য পুনর্গঠন, তেল শোধনাগাৰ আদি প্রশ্নত সাহিত্য সভাইসমূহ ৰাইজৰ লগত একত্রিত হৈ অসমৰ হক ৰক্ষার্থে কাম কৰি আহিছে। কাৰণ ভাষা, ৰাজ্য আৰু জাতি বিপন্ন হ'লে কেৱল নামত সাহিত্য সভা থাকিলেই নহ'ব। দেশ আক্রান্ত হোৱাৰ নিচিনা বিপদৰ কালত কেৱল নিয়মৰ কথা কৈ কোনো দেশবাসীয়েই হাত সাৱটি বহি থাকিব নোৱাৰে। ডেকা কবিয়ে কবৰ দৰে, 'দেশ বুলি ক'লে আদেশ নালাগে।' আপোনালাকে যি সংকটৰ কথা উপলব্ধি কৰিছে তাৰ ক্ষেত্রতো এই কথা খাটিব। সমূহ ৰাইজৰ সহায় সমর্থন আৰু সহযোগিতাৰ বলত জাতিৰ কামত লাগিবলৈ সাহিত্য সভা পাছ হুহকি নাযায়।

এই সংকট কেনেকৈ সৃষ্টি হৈছে তাক অলপ পৰীক্ষা কৰি চোৱা ভাল হ'ব। বিদেশী সমস্যাই ইয়াৰ একমাত্র কাৰণ নহয়, যদিও বিদেশী লোকৰ অবাধ প্রশ্নটো আজি বৰ ব্যাপক হৈ দেখা দিছে। বাংলাদেশী লোকৰ অবাধ প্রব্রজনক নিঃশব্দ আক্রমণ আখ্যা দিয়া হৈছে। ইয়াক সময়মতে প্রতিৰোধ নকৰিলে চকুত নপৰা দু�ৰাৰোগ্য ব্যাধিৰ দৰেই ই ভয়াবহ হৈ পৰিব পাৰে। সমস্যাটোৰ আৰম্ভণি প্রায় এশ বছৰ আগতে হৈছিলঃ অসমক পূর্ববংগৰ স'তে সাঙুৰি দিওঁতেই ঢাকা চহৰত সিফালৰ শিয়ান নেতাসকলে আমাৰ সৰল সদস্যসকলক নানান চলাহী কথাৰে সৈমান কৰি পোন প্রথমে মৈমনচিং জিলাৰ অগণন খেতিয়কৰ কিছু সংখ্যকক অসমলৈ চালান কৰি দিয়ে। এই যে পানী দুৱাৰ খুলি দিয়া হ'ল, তেতিয়াৰে পৰা অবাধ প্রব্রজন আজিলৈকে হৈয়ে আছে। ইয়াৰ কু-পৰিণাম যে অসমে কেতিয়াও বুজা নাছিলে এনেও নহয়। ক্ষতিগ্রস্ত ৰাইজৰ উপৰি নেতৃস্থানীয় লোক আৰু কর্তৃপক্ষয়ো সেই কথা উপলব্ধি কৰি প্রব্রজনত বাধা দিবলৈ বা তাক নিয়ন্ত্রণ কৰিবলৈ চেষ্টা চলাই আহিছে। কিন্তু সময়ে সময়ে ৰাজনৈতিক স্বার্থই অধিক গুৰুত্ব লাভ কৰাৰ ফলত সেইবিলাক চেষ্টা বাৰে বাৰে বিফল হৈ আহিছে। ক্ষুদ্র আৰু আত্ম-স্বার্থৰ বশৱর্তী একশ্রেণী বিষয়া-কর্মচাৰীয়েও সেই বিফলতাত ইন্ধন যোগাই আহিছে।

দেশ বিভাজনৰ ফলত অন্য এক প্রব্রজনৰ উদ্ভৱ হ'ল— ভগনীয়াৰ সোঁত। নৈতিক আৰু মানৱীয় কাৰণত ৰাজনৈতিক ভ্রান্তিৰ বলি সেই দুর্ভগীয়াসকলৰ প্রতি আমাৰ সহানুভূতি নোপজাৰ কাৰণ নাই। সেয়ে স্বাধীনতাৰ পিছতে আমাৰ ইয়াতো ভগনীয়া সংস্থাপনৰ যি কার্যব্যৱস্থা গৃহীত হয় তাত অসমবাসীয়ে আপত্তি কৰা নাছিল। কিন্তু ভগনীয়াৰ সোঁত আজিলৈকে বৈ থাকিব খোজাটোহে আপত্তি আৰু অশান্তিৰ কাৰণ হৈছে। মহাত্মা গান্ধীয়ে কৈছিল যে তেওঁৰ মৃতদেহৰ ওপৰতহে দ্বিধাবিভক্ত

স্বাধীন ভাৰতৰ সৃষ্টি হ'ব। ১৯৪৭ চনত সাম্প্রদায়িক ভিত্তিত ভাৰত কাৰ্যতঃ ত্রিখণ্ডিত হৈ গ'ল। তিনি বছৰতে ভগ্ন-মনোৰথ মহাত্মাৰ মৃতদেহ সাম্প্রদায়িকতাবাদীৰ নিষ্ঠুৰ গুলীতে ভূলুণ্ঠিত হ'ল। এই খণ্ডিত দেশখনেই ভগনীয়াৰ সৃষ্টি কৰিছে। সাম্রাজ্যবাদীয়ে বোধহয় আমাৰ সুপ্রাচীন দুৰ্বলতাবিলাক দেখিয়েই ভবিষ্যতলৈকো অধিক দুৰ্বল কৰি ৰাখিবলৈকে আমাক তেনেকৈ খণ্ড খণ্ড কৰি থৈ গ'ল। নহ'লে তেওঁলোকেইতো এই উপমহাদেশখনক এখন দেশত পৰিণত কৰিছিল। ১৯৪৭ চনৰ ১৪/১৫ আগষ্টৰ মাজনিশাৰ যি স্বাধীনতা আমি লাভ কৰিলোঁ, তাৰ লগতে আৰ্জন কৰিলোঁ সাম্প্রদায়িক মৰাকটা আৰু অগণন ভগনীয়া। আমি খণ্ডিতকৰণৰ প্রস্তাৱত সঁহাৰি নিদিয়া হ'লে, বিভাজনেৰে সমাধান কৰাৰ সূত্র অগ্রাহ্য কৰা হ'লে, আজি উপমহাদেসখনৰ ইতিহাসেই বেলেগ হৈ গ'লহেঁতেন। পশ্চিম খণ্ডত ভগনীয়া সমস্যা আজি নাই, কিন্তু পূৰ্বাঞ্চলত ই এটা অন্তহীন সমস্যা। চলিত অসম প্রশ্নৰ সৈতে ভগনীয়াসকলৰ অন্তহীন সমস্যাটো সাঙো�ৰ খাই আছে।

অসম তথা সমগ্র পূৰ্বাঞ্চলত কিমান সংখ্যক বিদেশী আছে তাৰ কোনো সঠিক হিচাপ নাই। বিভিন্ন পক্ষই নানা তথ্যপাতিৰ সহায়ত লাখ লাখ বিদেশী আছে বুলি হিচাপ কৰি দেখুৱাইছে। পূৰ্ববংগৰপৰা অহা সকলো লোকেই বিদেশী নহয়। সেইদৰে ভগনীয়া মাত্রেও বিদেশী নহয়। তথাপি যদি ২৫/৩০ লাখ বিদেশী ইয়াত আছে বুলিও ধৰি লোৱা হয় তেনেহ'লে সি কম ভয়াবহ কথা নহয়। আমাৰ জীৱনত ইয়াৰ কুপৰিণাম স্বৰূপে যি ভাৰসাম্যহীনতাৰ সৃষ্টি হ'ব পাৰে সেই কথা আমি কেতিয়াও পাহৰি থাকিব নোৱাৰোঁ। সংস্কৃতিৰ ক্ষেত্রত এই পৰিস্থিতিয়ে বিৰাট বিপর্যয়ৰ সৃষ্টি কৰিব পাৰে। সংস্কৃতি অৱশ্যেই আদান-প্রদান আৰু পাৰস্পৰিক সমন্বয়ৰ ফল। কিন্তু অসমত সেইটো যেন হ'ব খোজা নাই। এজন গুজৰাটীয়ে বংগদেশত গৈ বাস কৰিবলৈ হ'লে তেওঁ সেই প্রদেশৰে ভাষা-কৃষ্টি গ্রহণ কৰি এক হৈ যাব লাগিব, নহ'লে ভাৰসাম্য নষ্ট হৈ পৰি এটা সংকটৰ উদ্ভৱ হ'ব— এয়া আমাৰ যুগৰ এজন শ্রেষ্ঠ গুজৰাটী তথা এজন শ্রেষ্ঠ ভাৰতীয় নাগৰিকৰ অভিমত। আন এজন শ্রেষ্ঠ বাঙালী তথা শ্রেষ্ঠ ভাৰতীয় নাগৰিকেও নগাঁৱৰ এখন ৰাজহুৱা সভাত শ্রোতাসকলক অবিকল অনুৰূপ উপদেশকে দিছিল। তথাপি অসম ভূমিত তাহানি যেনেকৈ অসমীয়া ভাষাক বিতাৰণ কৰাৰ কু-প্রচেষ্টা সফল হৈছিল, ঠিক তেনেকৈ তাৰ পিছতো এই ৰাজ্যক দ্বিভাষা কৰি পেলোৱাৰ প্রবণতা জীৱন্ত হৈ থকা দেখা গৈছে। ৰাজ্য ভাষা প্রয়োগত আৰু শিক্ষাৰ মাধ্যমৰ ক্ষেত্রত আমি এতিয়াও সন্তুষ্ট হ'ব পৰা নাই। একাধিকবাৰ সাপে খোটাৰ ফলত আমি লেজুলৈকো ভয় কৰি থাকিব লগা হৈছে। সাংস্কৃতিকভাৱে এই অৱস্থাই আমাক এটা জাতি হিচাপেই ভয়ানক ক্ষতি কৰিব পাৰে। ৰাজনৈতিকভাৱেও এই অৱস্থাই আমাক অন্যায়ৰ বলি কৰিব পাৰে— বা ইতিমধ্যে কিছু কৰিছেই।

এই সংকট সৃষ্টিত এক প্রকাৰে আমাৰ নিজৰ মানুহেও ইন্ধন যোগাই আহিছে। সেই বুলি আমি সেইসকলক কেৱল সমালোচনা কৰি থাকিলেই নহ'ব। আমি আমাৰ নিজৰ স্বাৰ্থতে, আমাৰ সন্তানসকলৰ ভবিষ্যতৰ স্বাৰ্থতে প্রতিকাৰৰ চেষ্টা চলাব লাগিব। আমাৰ ডেকাশক্তিয়ে যোৱা পাঁচ বছৰৰো অধিক কাল এই সংকটৰ স্বৰূপপটো সফলতাৰে ফুটাই তুলি গোটেই দেশৰে বিবেকক জগাই তুলিছে। ছাত্র সন্থা আৰু গণসংগ্রাম পৰিষদে যুক্তি আৰু তথ্য সহকাৰে প্রশ্নটো দাণ্ডি ধৰি ইয়াৰ সমাধান বিচাৰি সুদীর্ঘ আন্দোলন চলাই আহিছে। যদিও সমাধান ওলোৱা নাই তথাপি যথেষ্ট এৰা ধৰাৰ মাজেদি এটা মীমাংসাত উপনীত হ'বলৈ চেষ্টা চলো দেখা গৈছে। এই চেষ্টাত বিশেষ ত্রুটি আমি দেখা নাই। তেওঁলোকৰ উদ্যমত অসম সাহিত্য সভায়ো সহযোগ কৰি আহিছে। আমি আমাৰ ডেকাশক্তিক অভিনন্দন জনাওঁ এই বাবে যে যি ভুল অতীতত ডাঙৰে কৰিলে আৰু যি বুল ডাঙৰে সংশোধন কৰিব নোৱাৰিলে, সেই ভুলৰ প্রতিকাৰ কৰিবলৈ এওঁলোক নিঃস্বাৰ্থভাৱে আগবাঢ়ি আহিছে। বোধহয় ডাঙৰৰ দৰে জীৱন-যাত্রাৰ জটিলতাত সোমাই পৰিব লগা হোৱা নাই কাৰণেই তেওঁলোকে এনে মহৎ কাৰ্যত আত্মনিয়োগ কৰিব পাৰিছে। অনলৰ গীত গোৱা দেশপ্রাণ প্রবীণ কবিৰ ভাষাৰে ক'ব পাৰি যে তেওঁলোকৰ কাৰণে আজি দেশেই ভগৱান স্বৰূপ হৈ উঠিছে। কিন্তু তেওঁলোকৰ ওপৰত বৰ গধুৰ দায়িত্ব পৰিছে। তেওঁলোকে যি প্রক্রিয়া আৰম্ভ কৰিলে সি স্বাভাৰিকভাৱে সমস্ত জনসাধাৰণক ব্যাপকভাৱে আলোড়িত কৰিছে। এনে আলোড়নমূলক আন্দোলনৰ গতি-প্রকৃতি সকলো সময়তে সুশৃংখলিত হৈ নাথাকিবও পাৰে। ১৯৮৩ চনৰ অনৈতিক নির্বাচনৰ সময়ত সেই কাৰণেই আমি এটা অশুভ পৰিস্থিতিৰ আকস্মিক উদ্ভৱ হোৱা দেখিবলৈ পালোঁ। অহিংস প্রতিৰোধৰ এনে ৰূপধাৰণে স্বাধীনতা সংগ্রামৰ সময়তো অৱশ্যৰ ঘটাইছিল। আমি ১৯৮৩ চনৰ পুনৰাবৃত্তি কেতিয়াও কামনা নকৰোঁ। কিন্তু লগতে এই কথাও ক'ব লাগিব যে কর্তৃপক্ষৰ ভুল আৰু কুটিল মনোভাৱৰ কাৰণেও সেই পৰিস্থিতিৰ উদ্ভৱ হৈছিল। কর্তৃপক্ষই যদি এতিয়াও সেই স্থিতিকে লৈ থাকে

তেনেহ'লে দুশ্চিন্তাৰ কাৰণো নিশ্চয় থাকিব। আঠুকাঢ়ি জীয়াই থকাতকৈ থিয় হৈ মৰিবলৈ স্বাধীনমনা মানুহে বিচাৰে। জৱাহৰলাল নেহৰুৱে ক'ৰ দৰে, আজিৰ জগতত বিপজ্জনকভাৱে জীয়াই থাকিবলৈকো মানুহে শিকিব লাগিব। এইবিলাক কথা কৈছোঁ বহল অৰ্থত, সামগ্ৰিকভাৱে বিশ্ব-পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত। তথাপি আমাৰ ক্ষুদ্ৰ অসমতো এইবিলাকৰ প্ৰতিচ্ছবি উঠিব পাৰে। ইয়াত যি আলোড়ন হৈছে তাৰ মাজত ডেকাশক্তিয়ে অতি সতৰ্কতাৰে দিক নিৰ্ণয় কৰি নগ'লে স্বাৰ্থ-জড়িত বিৰুদ্ধবাদীসকলে তাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিব পাৰে।

আমাৰ সংকটৰ আন এটা দিশ দেখা গৈছে সমন্বয়ৰ ক্ষেত্ৰত। সমগ্ৰ ভাৰতৰ সংস্কৃতিয়েই সমন্বয়ৰ সৃষ্টি। অসমৰ ক্ষেত্ৰত কথাটো দুগুণে সত্য। ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ মন্তব্যৰ সুৰতে কওঁ যে সাংস্কৃতিক সমন্বয় কেতিয়াও এক দিশৰপৰা হোৱা যাত্ৰা নহয়। বিভিন্ন কৃষ্টিগত যাত্ৰাপথৰ সংগমৰ ফলতেই সংস্কৃতিৰ উদ্ভৱ। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া সংস্কৃতি সম্বন্ধে বক্তৃতা স্বৰূপে যি দুটি মূল্যবান নিবন্ধ আমালৈ থৈ গৈছে তাত বিভিন্ন প্ৰাচীন যুগত বিভিন্ন জনগোষ্ঠীয়ে এই অসম অঞ্চললৈ আহি স্থাপত্য, ভাস্কৰ্য, সংগীত, পৰিধান, ভাষা আদিৰ ক্ষেত্ৰত বিবিধ অৱদান যোগাই এক সংমিশ্ৰিত কৃষ্টি সৃষ্টি কৰাৰ কথা পুংখানুপুংখকৈ দেখুৱাইছে। কিন্তু আজি আমাৰ সেই জাতীয় সমন্বয়ত যেন নানান আঘাত পৰিব ধৰিছে। স্বাধীনতাৰ পৰৱৰ্তী কালত বিভিন্ন সম্প্ৰদায়ৰ মাজত হোৱা জাগৰণৰ পৰাই সমস্যাটোৰ নানান বিষয় উদ্ভৱ হৈছে বুলি ক'ব পাৰি। এই নৱ-জাগৰণক আমি কিন্তু বেয়া চকুৰে চাব নোৱাৰোঁ। মুক্তি আৰু উদ্‌গতিৰ প্ৰৱণতা মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। ১৯৩৯-৪৫ চনৰ দ্বিতীয় বিশ্বযুদ্ধই পৃথিৱীৰ বিভিন্ন দলিত জাতিৰ মনলৈ মুক্তিৰ স্পৃহা আনি দিয়ে। ভাৰত উপমহাদেশৰ কথাই নাই, দক্ষিণ-পূব এছিয়া, পশ্চিম এছিয়া আৰু সুপ্ত মহাদেশ আফ্ৰিকাৰ নানান জাতি স্বতন্ত্ৰ হ'বলৈ উদগ্ৰীৱ হৈ উঠিল, কেতিয়াবা সশস্ত্ৰ বিদ্ৰোহীৰ পতাকাও তুলিলে। সেই প্ৰক্ৰিয়াৰ আজিও শেষ হোৱা নাই। ভাৰতৰ ভিতৰতে নানান সৰু সৰু জাতিৰ মনলৈ স্বাধীনতাই আশাৰ বাণী কঢ়িয়াই আনিলে। বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু শিক্ষাৰ সিমান সন্ধান নোপোৱা অৱহেলিত জনগণক গণতান্ত্ৰিক গণৰাজ্যই উদগতিৰ কাৰণে নানান সা-সুবিধা দিবলৈ ওলাল। স্বাভাৱিকতে এইবিলাক সম্প্ৰদায়ৰ মাজত নৱ-চেতনাৰ উদয় হ'ল। জৱাহৰলাল নেহৰুৰ দ্বাৰা নিৰ্ধাৰিত নীতি অনুসৰি এইবিলাক অনুন্নত সম্প্ৰদায়ক অপেক্ষাকৃতভাৱে উন্নতসকলৰ পৰ্যায়লৈ আনিবলৈ ধীৰ-স্থিৰ গতিৰে কাম হাতত লোৱা হয়, যাতে তেওঁলোকৰ আৱহমান সুপ্ৰাচীন জীৱনযাত্ৰাত আকস্মিকভাৱে ছেদ নপৰে, নহ'লে এটা সাংস্কৃতিক সংকট ঘটাৰ আশংকা থাকে। সেই কাৰণেই নেহৰুৱে ড° ভেৰিয়াৰ এল-উইনৰ লেখীয়া প্ৰখ্যাত নৃতত্ত্ববিদক 'নেফা' প্ৰশাসনৰ উপদেষ্টা নিয়োগ কৰিছিল। এই নীতিত তেনেকৈ দোষ ধৰিব লগা একো নাই। কিন্তু নানান কাৰণত কোনো সম্প্ৰদায়ৰ মাজত ৰাজনৈতিক আশা-আকাংক্ষাই দৃঢ় স্থিতি লাভ কৰাও দেখা গ'ল। ফিজোৰ নেতৃত্বাধীন নগা বিদ্ৰোহ যুদ্ধৰ মাজৰপৰা আৰম্ভ হৈছিল। একাংশ মিজো লোকৰ বিদ্ৰোহেও অচিৰেই দেখা দিলে। মণিপুৰত হোৱা সশস্ত্ৰ বিদ্ৰোহ অৱশ্যে পিছৰ ঘটনা। এনে বিদ্ৰোহ নোহোৱাকৈও অসমৰ দুখন জিলাই ঐক্যবদ্ধভাৱে পাৰ্বত্য ৰাজ্যৰ কাৰণে শক্তিশালী আন্দোলন চলালে। নগালেণ্ড, মিজোৰাম আৰু মেঘালয়ৰ গঠনে, টিৰাপ জিলাখনক নতুন ৰাজ্যক্ষেত্ৰ অৰুণাচললৈ লৈ যোৱাৰ সিদ্ধান্তই বৃটিছৰ দিনৰ অসম নামৰ ভূখণ্ডত বিচ্ছিন্নতাৰ বাট মুকলি কৰি দিলে। আজি এইবিলাক ঠাই আমাৰ চুবুৰীয়া ভগ্নীৰাজ্য। তেওঁলোকৰ প্ৰতি আজি আমাৰ কোনো বিদ্বেষ নাই; আমি তেওঁলোকৰ সৰ্বতোপ্ৰকাৰ মঙ্গল কামনাই কৰোঁ। তদুপৰি যাতায়াত, ঔদ্যোগিক বিকাশ, শিক্ষা-দীক্ষা, বিদেশীৰ উপস্থিতি আদি ভালেখিনি উমৈহতীয়া সমস্যা আমাৰ সকলোৰে আছে। সমগ্ৰ পূৰ্বাঞ্চলটো দেশৰ ভিতৰতে সৰ্বাধিক পশ্চাদপদ। অনুন্নত হোৱাৰ উপৰি উপমহাদেশখনৰ এক বিৰাট মানৱ প্ৰজাতি কিৰাত-মংগোলীয় গোষ্ঠীসমূহৰ দ্বাৰা পূৰ্বাঞ্চলটো অধ্যুষিত। ইয়াৰ বহুত কথাই আৰ্যাৱৰ্ত আৰু দাক্ষিণাত্যত বোধগম্য নহয়। আমাৰ মনৰ খবৰ দিল্লী ঢুকি পাবলৈ টান হয়— 'হনূজ দিল্লী দূৰ অস্ত' কথাষাৰ আমাৰ ক্ষেত্ৰতো প্ৰযোজ্য। এইখিনিতে ভগ্নীসকলৰ মিল। আমি পৰস্পৰৰ দুখৰ অংশীদাৰ। আমাৰ বক্তব্য এয়ে যে সেই ভাগ-ভাগ হোৱাৰ বাট মুকলি কৰি দিয়াৰ ফলস্বৰূপে অন্যান্য ধৰণৰ ভেদভাৱৰো উদ্ভৱ হোৱা দেখা গ'ল আৰু এইটোহে আমাৰ দুশ্চিন্তাৰ এটা প্ৰধান কাৰণ হৈছে। আমি দুখেৰে লক্ষ্য কৰি আহিছোঁ যে বেলেগ বেলেগ ৰাজ্য গঠনৰ মনোভাৱ মাজে মাজে প্ৰকাশ পাইছে। একোটি জনজাতীয় ভাষাৰ বিকাশৰ লগতে তাক অন্য ৰূপত প্ৰয়োগ কৰাৰ তথা সহজলভ্য অসমীয়া লিপিৰ পৰিবৰ্তে অন্য দেশী বা বিদেশী লিপি গ্ৰহণৰ প্ৰৱণতাও গঢ় লোৱা দেখা গৈছে। ভাষাৰ লগতে কেতিয়াবা ৰাজনৈতিক আশা-আকাংক্ষাও সানমিহলি হৈ পৰিছে। এইবিলাক প্ৰৱণতাই বিচ্ছিন্নতাৰ বীজ বোপণ কৰে। হৰতাল, ধৰ্মঘট আদি আন্দোলনমুখী কাৰ্যসূচীৰ

সাহায্য ল'লে এই বীজৰ পৰাই বিদ্বেষ আৰু মনোমালিন্য অংকুৰিত হ'ব পাৰে। এইটো অসমৰ চাৰি সীমাৰ ভিতৰত বাস কৰা কোনো লোকৰে কাম্য হোৱা উচিত নহয়।

বড়ো ভাষাক অলপতে চৰকাৰে অসমৰ এটা সহযোগী শাসকীয় ভাষাৰূপে স্বীকৃতি দান কৰিল। এই স্বীকৃতিৰ দাবী বহু পুৰণি। অৱশেষত দাবীটো গ্ৰাহ্য হোৱাত সকলোৱে আনন্দ প্ৰকাশ কৰিছে। আমি বড়ো ভাষাৰ এনে মৰ্যাদা লাভক আদৰণি জনাইছোঁ। ই এটা প্ৰাচীন, সমৃদ্ধ ভাষা। ইয়াৰ ঐতিহ্যৰ যদিও কোনো লিখিত পদ্ধতি নাছিল, তথাপি বড়ো পণ্ডিত-সাহিত্যিকসকলে ভাষাটোৰ প্ৰভূত উন্নতি সাধিছে। ড° প্ৰমোচন্দ্ৰ ভট্টাচাৰ্যই বড়ো ভাষাৰ বিষয়ে বিজ্ঞান-সম্মতভাৱে গৱেষণা কৰিছে; তেওঁ পেৰিছত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় ভাষাতত্ত্ব সম্মিলনতো বড়ো ভাষাৰ পাৰদৰ্শী বুলি পৰিগণিত হৈ আহিছে। ইতিমধ্যে এই ভাষা উচ্চ শিক্ষাৰ স্তৰলৈকে মাধ্যম হৈছে। অন্যান্য জনজাতীয় ভাষাকো এইদৰে বিজ্ঞান-সম্মত ভিত্তিত প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলি আছে। তাৰে কোনো কোনোটোক শিক্ষাৰ মাধ্যম ৰূপে প্ৰয়োগ কৰাৰো চেষ্টা চলোৱা হৈছে। প্ৰত্যেকটো জনজাতীয় ভাষাই এইদৰে বিকাশপ্ৰাপ্ত হওক; এনে বিকাশত বাধা দিয়াৰ প্ৰশ্ন নুঠে। সংশ্লিষ্ট লোকসকলে নিজৰ ভাষাতে পুথি-পত্ৰ পঢ়িবলৈ পালে যি আনন্দ আৰু গৌৰৱ অনুভৱ কৰিব তাৰ তুলনা নাই। থলুৱা ভাষাবিলাকৰ উন্নতি সাধন সাহিত্য সভাৰো এটা প্ৰধান উদ্দেশ্য। কিন্তু এই থলুৱা ভাষাবিলাকৰ বিকাশ-প্ৰক্ৰিয়াতে যদি বিদ্বেষ আৰু বিচ্ছিন্নতাৰ মনোভাব সৃষ্টি হ'বলৈ হয় তেন্তে বৰ পৰিতাপৰ কথা হ'ব। এনে যাতে কেতিয়াও নহয় তালৈ সততে তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ আমি সংশ্লিষ্ট সকলোলৈকে আহ্বান জনাওঁ। অসমৰ ভিতৰতে মিলি-জুলি বাস কৰাৰ বাহিৰে কোনো গত্যন্তৰ আমাৰ নাই। আমি পৰস্পৰক শ্ৰদ্ধা কৰি চলিবলৈ শিকাৰো কোনো বিকল্প নাই। ইয়াৰ লগতে এই কথাও সংশ্লিষ্ট সকলোৱে মনত ৰখা উচিত হ'ব যে অসমত অসমীয়া ভাষা শিকা আৰু তাক গ্ৰহণ কৰাৰ বাহিৰেও গত্যন্তৰ নাই। অসমীয়া ভাষা আইনতঃ শাসকীয় বা চৰকাৰী ভাষা ৰূপে গ্ৰাহ্য হোৱাৰ উপৰিও ই অসম-ভূমিৰ সকলোৰে সংযোগী ভাষাও। কাছাৰ জিলাত চৰকাৰী ভাষাটো প্ৰয়োগ নকৰাৰ কোনো অৰ্থ নহয়। অসমত বাস কৰা প্ৰত্যেকজন লোকেই অসমীয়া ভাষা শিকি ল'ব লাগে। কৰ্ণাটকত যি বাধ্যবাধকতা ধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হৈছেগৈ তেনে এটা পৰ্যায়লৈ অসমীয়া ভাষাকো ঠেলি নিদিয়াই মংগল। কবি যতীন্দ্ৰনাথ দুৱৰাই 'সৰুতে আইৰ মুখত শুনা' মাতৃভাষাটো হেৰুৱাব লগা হৈ বাঙালী শিক্ষকৰ আগত কান্দি পেলাইছিল। ঠিক সেই অৰ্থত নহ'লেও অসমত সকলোৰে কাৰণে অসমীয়া ভাষাটো মাতৃস্বৰূপা। ড° বাণীকান্ত কাকতিয়ে তেওঁৰ বিখ্যাত গৱেষণা-গ্ৰন্থত অসমীয়া শব্দৰাজিৰ মাজত থকা আৰ্যেতৰ শব্দাৱলীৰ ৰূপ, ধ্বনি আৰু ইতিহাস বিশ্লেষণ কৰিছে। সাহিত্য সভাৰ তিনিচুকীয়া অধিবেশনত পতা আলোচনা-চক্ৰৰ সভাপতি ৰূপে ড° উপেন্দ্ৰ নাথ গোস্বামীয়েও তেওঁৰ ভাষণত বিস্তৃত তথ্য-পাতিৰে দেখুৱাইছে কেনেকৈ বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ পৰা শব্দাৱলী আহৰণ কৰি অসমীয়া ভাষাটো গঢ়লৈ উঠিছে। এনেকৈ সমৃদ্ধ হৈ উঠা অসমীয়া ভাষাটো অসমবাসী সকলো জনগোষ্ঠীৰে মাতৃভাষা।

অকল ভাষাৰপৰাই যে বিভেদ সৃষ্টিৰ সম্ভাৱনা এনেও নহয়। নৱ-জাগ্ৰত চেতনাই নানান সামাজিক অন্যায়ৰ কথাও স্মৰণ কৰাই দিছে। জাতিভেদ অসমত প্ৰবল নহয় সঁচা। ধৰ্মভিত্তিক সাম্প্ৰদায়িক দ্বন্দ্ব-সংঘৰ্ষও আমাৰ মাজত উৎকট নহয়— নেলীৰ দুৰ্ভাগ্যৰজনক ঘটনা একক দৃষ্টান্তহে, মীৰাট-ভিৱান্দি-জামছেদপুৰ আদিৰ দৰে পুনৰাবৃত্তি নহয়। তথাপি অসমবাসীৰ মাজত সামাজিক ব্যৱধান নাই বুলি ক'ব নোৱাৰোঁ। অৰ্থনৈতিক কাৰণত অসমতা থকাৰ কথা নকওঁৱেই। বুৰঞ্জীৰ গতিপতৰ কাৰণেই পূৰ্বাঞ্চলত আহি থিতাপি লোৱা বিভিন্ন জাতিৰ বিকাশ সমান নহয়। কোন জাতি যে লুইত অৱবাহিকালৈ পোন প্ৰথমে আহিছিল তাক নৃতত্ত্ববিদে নিৰ্ণয় কৰা নাই। সকলো জাতি ইতিহাসৰ কোনো কোনো আদি স্তৰত ইয়ালৈ অহাটো সঁচা। অসমত কিয়, গোটেই ভাৰত উপমহাদেশতে কোনো মানৱ প্ৰজাতিৰ উদ্ভৱ হোৱা নাছিল— যেনেকৈ হৈছিল চীনদেশত, আফ্ৰিকাত, ইউৰেছিয়াত। ভাৰতলৈ চামে চামে মানৱ প্ৰজাতি সাগৰ পাৰ হৈ, পৰ্বত বগাই, খোজকাঢ়ি অহাৰ দৰে লুইত অৱবাহিকালেও নানান জাতিয়ে প্ৰব্ৰজন কৰিছিল। নিগ্ৰো, অষ্ট্ৰিকভাষী আৰু দ্ৰাবিড় জাতিৰ মানুহো ইয়ালৈ আহিছিল বুলি কয়; কিন্তু সেইবিলাকৰ চিন-চাব কিৰাত-মঙ্গোলীয়ৰ মাজত হেৰাই গ'ল হেনো। আজি ইয়াত প্ৰধানকৈ আৰ্য আৰু মঙ্গোলীয়ৰ উপস্থিতিহে লক্ষ্য কৰা যায়। কিন্তু এইবিলাক জাতিৰ বিকাশ একে নহয়। বিশেষকৈ ভালেমান মঙ্গোলীয় সম্প্ৰদায় অনুন্নত অৱস্থাত আছে। পৰম্পৰাগতভাৱে এওঁলোক অতিশয় সংস্কৃতিবান। কিন্তু আধুনিক শিক্ষা, বেপাৰ-বাণিজ্য আৰু বৈজ্ঞানিক প্ৰগতিৰ ক্ষেত্ৰত অনগ্ৰসৰ হৈ থকা কাৰণে এওঁলোকক অনুন্নত আখ্যা দি বেলেগেহি বাখিব লগা হৈছে। সামন্ততান্ত্ৰিক যুগত

এওঁলোক অৱহেলিত হৈয়ে ৰৈছিল; অর্থনৈতিক দিশত অগ্রৱর্তী অন্যান্য জাতিয়ে নিজা নিজা কৌলিক অভিমানত আৰু স্বার্থ-কেন্দ্রিকতাৰ বশৱর্তী হৈ সিবিলাকক অগ্রগতিৰ পথৰ পৰা আঁতৰাই ৰাখিলে, বঞ্চিত কৰিলে, সামাজিকভাৱে তুচ্ছ-তাচ্ছিল্য কৰিলে। অসমতে লিখিত যোগিনীতন্ত্রত যি স্থলত উল্লেখ আছে যে পীঠসমূহত প্রচলিত পাণধর্ম আৰু দেশধর্ম লংঘন কৰা অনুচিত আৰু কামেশ্বৰীক পূজা দিওতে তেজ-মাংস-মদ্য উছর্গা কৰিব লাগিব, — আনহে নালাগে মহাভাৰততো যি স্থলত দুর্গাদেৱীক এগৰাকী মদ-মাংস ভালপোৱা দেৱী বুলি লিখা আছে, সেই স্থলত ইয়াত খাদ্যাখাদ্যৰ বাছ-বিচাৰ কৰি মানুহে মানুহক ঘৃণা কৰাৰ প্রৱণতা দেখা গ'ল। কিন্তু যিমানেই তুচ্ছ-তাচ্ছিল্যৰ পাত্র নহওক, মানুহে তাক চিৰকাল সহ্য কৰি নচলে— এদিন নহয় এদিন প্রতিক্রিয়া হ'বই— ৰবীন্দ্রনাথ ঠাকুৰে ক'বৰ দৰে 'যিবিলাক তুমি আজি অপমান কৰিছা, এদিন অপমানত তুমিও সেইসকলৰ সমান হ'ব লাগিব।' প্রতিক্রিয়াবোৰ সদায়েই প্রবলতৰ হয়। পৰিণামত দ্বেষ আৰু দ্বন্দ্ব বৃদ্ধি হৈ যায়। এনে পৰিস্থিতিৰ উদ্ভৱ হ'লে আমি দুখ কৰোঁ, আনক দোষ দিওঁ নাইবা প্রতিকাৰ বিচাৰি ক্ষমতাৰ আশ্রয় লওঁ। কিন্তু ভাবি নাচাওঁ যে এইবিলাক আমাৰেই দুষ্কর্মৰ ফল। ডেকা-গাভৰুৰ অন্ধ প্রেমৰ ক্ষেত্রতো হেনো কেতিয়াবা সামাজিক অসমতাবিলাক প্রকট হৈ উঠে— অমৰ কথাশিল্পী শৰৎ চন্দ্র চট্টোপাধ্যায়ৰ কথা। আমাৰ গাঁৱলীয়া ফৰিং প্রেমিকেও কৈ থৈছে যে চেনাইলৈ চাই জপনা দেওতে অজাতি কুলৰ অঘৈয়া হুলে ফুটে। ন্যায় বিচাৰৰ সময়তো তেনেকৈ সামাজিক ব্যৱধানবিলাক প্রকট হৈ পৰে। নৱ-জাগ্রত চেতনাৰ উদ্‌গনি পাই আজি আমাৰ মাজৰ বিভিন্ন সম্প্রদায়ৰ ভিতৰৰো নানান প্রতিক্রিয়া হ'বলৈ ধৰিছে। এভাগৰ দলন প্রবৃত্তি যেনেকৈ স্বার্থৰ কাৰণে স্বাভাৱিক, তেনেকৈ তাৰ বিৰূপ প্রতিক্রিয়াও স্বাভাৱিক— দুয়োটাই দুখজনক। জাতত ধৰাৰ প্রৱণতা এতিয়াও আছে। কেতিয়াবা ইয়াৰ প্রতিক্রিয়া বৰ বেয়া হৈ পৰে। বেজবৰুৱাৰ কবিতাত 'কেনেকৈ মৰাণে অসম ধ্বংসিলে' বুলি থকা পংক্তিটি উল্লেখ কৰি আমাক এদল অসন্তুষ্ট ছাত্রই প্রশ্ন কৰিছিল— কথাটো সঁচা নে? মৰাণে কেতিয়া অসম ধ্বংস কৰিলে? কবিয়ে নিশ্চয় সেই বুলি কওঁতে মোৱামৰীয়া বিদ্রোহৰপৰা উদ্ভৱ হোৱা পৰিস্থিতিৰপৰাই লাহে লাহে অসমৰ স্বতন্ত্রতাৰ সূর্যাস্ত আহিল এনে অর্থ কৰিব খুজিছিল। কিন্তু তেওঁৰ কথাই যে অসমৰ এটা আদিম জাতিক এদিন ক্ষুণ্ণ কৰিব পাৰে সেই কথা হয়তো তেওঁৰ মনত খেলোৱা নাছিল। এই মনোভংগী আজি আমাৰ পৰীক্ষাৰ বিষয় হ'ব লাগে। আনন্দৰ বিষয় যে আমাৰ মাজত এটা নতুন সজাগতা আহিছে। আগতকৈ তুচ্ছ-তাচ্ছিল্যৰ ভাব হ্রাস পাইছে। গুৱাহাটীত পূর্বোত্তৰ ভাষা সমিতিয়ে জনজাতীয় ভাষা শিক্ষাৰ ব্যৱস্থা কৰিছে আৰু ডিফুৰ ৰাংছিনা ভৱনতো কার্বি ভাষা শিক্ষাৰ শ্রেণী খোলা হৈছে। এইবিলাক ভাষা শিকিবলৈ অ-জনজাতীয় লোকসকল আগ্রহেৰে আগবাঢ়ি আহিছে। ই তেওঁলোকৰ সদিচ্ছাৰ পৰিচায়ক। দৰাচলতে প্রাচীন কালত এইসকল লোকৰে কিছুমানে অতি উন্নত সংস্কৃতি নির্মাণ কৰিছিল। ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালাই আঙুলিয়াই দিছে যে অকল সভ্য আর্যসকলৰে সংস্কৃতি আছিল বোলাটো ভুল; প্রাগ্‌জ্যোতিষৰ সভ্যতা-সংস্কৃতিতো আর্যৰ সমানেই মানৱীয় বিকাশ দেখা যায়। যেনে, দানৱপুৰীবোৰ দেৱপুৰীৰ লেখীয়াই আছিল; আনন্দ কুমাৰস্বামীয়ে ক'বৰ দৰে দানৱ-কন্যা চিত্রলেখা ভাৰতৰ ইতিহাসত উল্লিখিত প্রথম চিত্রশিল্পী; নগৰ নির্মাণ কৰিবলৈ আর্যসকলে ময় দানৱক নিয়োগ কৰিছিল; দেৱগুৰু বৃহস্পতিৰ আজ্ঞাত ঔষধৰ বিষয়ে জানিবলৈ কচ গৈছিল দৈত্যগুৰু শুক্রাচার্যৰ ওচৰলৈ। এইবিলাক দৃষ্টান্তই নিশ্চয় আর্য-আর্যেতৰ সংস্কৃতিৰ সংমিশ্রণকে সূচাইছে। কৃষ্ণ-ৰুক্মিণী আৰু উষা-অনিৰুদ্ধৰ মিলনো আর্য-আর্যেতৰ সংস্কৃতিৰে মিলনৰ নিদর্শন। জ্যোতিপ্রসাদ আগৰৱালা নিজে আর্য সভ্যতা-সংস্কৃতিৰ সন্তান; বাণাসুৰৰ নগৰীত থাকি তেওঁ এই নতুন সত্য আৱিষ্কাৰ কৰিছে। এই সংমিশ্রণৰ ধাৰাই সমগ্র ভাৰতীয় সংস্কৃতিৰ ধাৰা। সংমিশ্রণৰ পৰিণতি সমন্বয়— যি আমাৰ ঐতিহ্যৰ দান। ইয়াক অৱহেলা নকৰি আজি আমি নৱ-জাগৰণৰ ৰ'দকাঁচলিত বহি ধৈর্য আৰু উপলব্ধিৰে তাক পৰিপোষণ আৰু সংবর্ধন কৰিব লাগে। পৌৰাণিক যুগতে ককাদেউতা আৰু নাতিল'ৰা দুয়ো সুদূৰ বাৰিধি তীৰৰপৰা আহি 'পাহাড়ৰ হাড়ৰ জীয়ৰীৰ মাজতো সাগৰৰ সপোন' দেখি আমাৰ জোঁৱাই ল'ৰা হৈছিলহি। পিছে আধুনিক যুগত আন এক ককাদেউতাই বিপদ-কালত অসমক দুবাৰো পৰিত্যাগ কৰিবলৈ ওলাইছিল— এবাৰ গ্রুপিঙৰ সময়ত, আনবাৰ চীনৰ আক্রমণত; নাতিল'ৰাই বহুৰৰ আৰম্ভতে নতুন দৃষ্টিভংগী গ্রহণ কৰিব খোজা দেখা গৈছে— আশা কৰোঁ তেওঁ আমাক উপেক্ষা নকৰিব।

আমি ৰাজনৈতিক নেতাক আজুৰিবলৈ গৈছোঁ বুলি কোনোবাই ক'ব পাৰে। কিয়নো সাহিত্য সভাৰ নিয়মাৱলীত 'দলগত, ৰাজনৈতিক' আলোচনা নিষিদ্ধ। আমি দলীয় ৰাজনীতিৰ মাজলৈ নাযাওঁ। কিন্তু সাধাৰণ ৰাজনৈতিক কার্যকলাপে আজি

আমাৰ জীৱন ভাৰাক্ৰান্ত কৰি পেলাইছে। এনে কাৰ্যকলাপৰ ফলস্বৰূপে আমাৰ অস্তিত্ব বিপন্ন হ'লে, আমাৰ ভাষা-সংস্কৃতি বিনষ্ট হ'ব খুজিলে, তাত মাত মতাৰ অধিকাৰ আমাৰ থাকিব। সাহিত্য সভাই এই অৰ্থতেই বিদেশী সম্পৰ্কীয় আন্দোলনটোক সমৰ্থন জনাই আহিছে। ক্ষমতাত অধিষ্ঠিতসকলে ভবাৰ দৰে কোনো ৰাষ্ট্ৰবিৰোধী কামত লিপ্ত হোৱা নাই। সাহিত্য সভাৰ কোনো ৰাজনৈতিক আকাংক্ষা নাই। এই মৌলিক নীতিটোৰ কথা নুবুজা কাৰণে সাহিত্য সভাক বহুতে মিছাই দোষাৰোপ কৰে। আনহাতে সমগ্ৰ ভাৰতীয় পৰিপ্ৰেক্ষিতত যদি আমি ৰাজনৈতিক বাতাবৰণৰ কথা বিবেচনা কৰোঁ তেন্তে আমাক হতাশাই আগুৰি ধৰে। নতুন প্ৰধানমন্ত্ৰীয়ে 'নিকা আৰু নিপুণ' প্ৰশাসন ব্যৱস্থা এটা প্ৰবৰ্তন কৰিব খুজিছে— অৰ্থাৎ এতিয়াৰ ব্যৱস্থাটো লেতেৰা আৰু অকৰ্মণ্য। কেবল লোভ-লালসাৰ কাৰণেই দল বাগৰাটো আজি এটা ৰাজনৈতিক সুবিধা হৈ পৰিছে। মানুহ ভঙাই নিও ক্ষমতা বেদখল কৰা দেখা গৈছে। বাহুবল আৰু অস্ত্ৰবল বহু ৰাজ্যতে সক্ৰিয় ৰাজনীতিৰ অংশ হৈ পৰিছে। সাম্প্ৰদায়িক ভোটৰ ওপৰত নিৰ্ভৰশীলতা কমক চাৰি বাঢ়িহে গৈছে। দুৰ্নীতি, স্বজনপ্ৰীতি, ভেটীখোৱা ইমান দকৈ শিপাই গৈছে যে দেশৰ কৰ্ণধাৰেই ক'বলৈ ধৰিছে— দুৰ্নীতি আজি আমাৰ জীৱনৰ এটা পদ্ধতি হৈ পৰিছে। ইয়াৰ শেষ কি কোনেও ভাবি চোৱা নাই। লাভ আৰু ক্ষমতাৰ যুদ্ধত সকলো ব্যস্ত নৈতিক কথা ভাবিবৰ কাৰো সময় নাই। একাংশক লাগে ক্ষমতাত উঠিবলৈ, আন অংশক লাগে ক্ষমতাত গজগজীয়া হৈ থাকিবলৈ। এনে এটা পৰিবেশত ডাঙৰ সংকট এটা উদ্ভৱ হ'লে তাক দূৰ কৰিবলৈ কাৰো প্ৰেৰণা জাগি নুঠে; ৰৰং সকলোটি নিজ নিজ স্বাৰ্থ সম্পৰ্কে সজাগ হৈহে উঠে। ই এক নতুন প্ৰকাৰৰ শ্ৰেণী-স্বাৰ্থ। বিদেশী সমস্যাটোৰ কথাই ইন্দিৰা গান্ধীয়ে সহজ সমাধানৰ কাৰণে ১৯৭১ চনৰ পিছৰ বিদেশীখিনিক প্ৰথমে বহিষ্কাৰ কাৰবলৈও কথা দিছিল। তেনেহ'লেনো ক্ষমতাত থকাসকলে আন্দোলনটোক মষিমূৰ কৰিবলৈ দেহেকেহে লাগি গৈছে কিয়? কোনো এখন জিলাত বিদেশী এজনো নাই— এনে উক্তিৰ বাবেতো কোনেও প্ৰশ্ন কৰা নাই। অসমত বিদেশী আছে— সমগ্ৰ পূৰ্বাঞ্চলত আছে, পশ্চিমবংগতো আছে, বিহাৰতো আছে, এয়ে মূল সমস্যা। দল মত নিৰ্বিশেষে সকলোৱে যদি ক'লোহেঁতেন যে বিদেশী আছে, তেওঁলোকক বিচাৰি উলিয়াব লাগে— তেন্তে সমস্যাটোৰ সমাধান বহুত সহজ হৈ গ'লহেঁতেন। কিন্তু নানা স্বাৰ্থৰ টানত হয়তো সেইটো কৰা হোৱা নাই। কিছুমানৰ মতান্তৰ আছে। মতান্তৰলৈ আমাৰ শ্ৰদ্ধা আছে— সেই মতান্তৰ মানি লওঁ নে নলওঁ সেইটো বেলেগ কথা। এনে এটা ব্যাপক আলোড়নমূলক গণ-আন্দোলনৰ পদ্ধতি, কাৰ্যসূচী আৰু তাৰ কাৰ্যকৰীকৰণত কিছু ভুল-ত্ৰুটি ৰৈ যোৱা একো আচৰিত নহয়। কিন্তু তাকে লৈ হৈ চৈ লগাই দি বিভ্ৰান্তিৰ মাত্ৰা বঢ়াই নিয়া হৈছে মাত্ৰ। বহুতো ৰাজনৈতিক-সাম্প্ৰদায়িক-গোষ্ঠীগত আকাংক্ষাই জীপ পাইছে, যিহৰ পৰিণাম শুভ নহয়। ইতিমধ্যেই পুৰণা সুসংহত সমাজখনত তিক্ততা বৃদ্ধি পোৱা দেখা গৈছে। দৰিদ্ৰ জনগণৰ দুখমোচনৰ কাৰণে হোৱা হ'লে এই তিক্ততাৰ এটা অৰ্থ আমি বিচাৰি পালোহেঁতেন। ৰুছিয়া আৰু চীন দেশৰ সশস্ত্ৰ বিপ্লৱত ৰক্তপাত হৈছিল সঁচা, কিন্তু তাকে লৈ হৈ চৈ লগাই দি বিভ্ৰান্তি সৃষ্টি কৰাতকৈ তাক শুধৰাই দিবলৈ চেষ্টা কৰাহে বাঞ্ছনীয়। তাকে নকৰি অশান্তিৰ মাত্ৰা বঢ়াই নিয়া হৈছে মাত্ৰ। বহুতো ৰাজনৈতিক-সাম্প্ৰদায়িক-গোষ্ঠীগত আকাংক্ষাই জীপ পাইছে, যিহৰ পৰিণাম শুভ নহয়। ইতিমধ্যেই পুৰণা সুসংহত সমাজখনত তিক্ততা বৃদ্ধি পোৱা দেখা গৈছে। দৰিদ্ৰ জনগণৰ দুখমোচনৰ কাৰণে হোৱা হ'লে এই তিক্ততাৰ এটা অৰ্থ আমি বিচাৰি পালোহেঁতেন। ৰুছিয়া আৰু চীন দেশৰ সশস্ত্ৰ বিপ্লৱত ৰক্তপাত হৈছিল সঁচা, কিন্তু সেই দুখন দেশৰ জনগণৰ যে শতাব্দী-জোৱা নিষ্পেষণৰ অন্ত পৰিল তাক আমি স্বীকাৰ কৰিবই লাগিব। আমাৰ মাজৰ মনোমালিন্যত তেনে কোনো মহৎ উদ্দেশ্য নিহিত হৈ থকা নাই। ১৯৮৩ চনৰ নিৰ্বাচনটো ভুল আৰু ত্ৰুটিপূৰ্ণ বুলি তাক প্ৰতিৰোধ কৰা হৈছিল। প্ৰতিৰোধ প্ৰক্ৰিয়াত যে আতিশয্য হৈ গ'ল তাক নুই কৰিব নোৱাৰি। অহিংসাত বিশ্বাসী গান্ধীজীৰ নেতৃত্বাধীন আন্দোলনৰ সময়তো তেনে আতিশয্য হৈছিল। গহপুৰত যি দুৰ্ভাগ্যজনক ঘটনা ঘটি গ'ল তাৰ কাৰণে আমি কোনো প্ৰস্তুত নাছিলোঁ। ভাই-ভনীক শত্ৰু বুলি গণ্য কৰিবলৈ সেইসকল লোকক কোনে উচটাইছিল আজিও প্ৰকাশ হোৱা নাই। সেই সময়তে উজনিৰ বহুতো চাহ বাগিছাত যি ব্যাপক অশান্তি হৈছিল তাৰ কথা আমি কল্পনাই কৰা নাছিলোঁ। আমি নিজে চাহ বাগিছাৰে জীয়ৰী, বাগিছাতে জীৱন কটোৱা আমাৰ বৃদ্ধা মাতৃ সেই অশান্তিত আক্ৰান্ত হৈছিল, আমাৰ পৰিয়ালটোৱে ডুমডুমাত গৈ আনৰ আশ্ৰয়ত থাকিব লগা হৈছিল। এই ধৰণৰ অশুভ প্ৰতিক্ৰিয়াৰ শুৰিত কোন আছিল সেইটোও নিৰীত হোৱা নাই। এইবিলাক নিৰ্ণয় কৰি ল'ব পাৰিলে ভবিষ্যতলৈ সতৰ্ক হ'ব পাৰি। সেই বুলি চাহ মজদুৰ সম্প্ৰদায়ৰ প্ৰতি আমাৰ কোনো বেয়া ভাব থাকিব এনে কথা হ'ব নোৱাৰে। এওঁলোকৰ সামান্য একাংশহে এইবিলাকত লিপ্ত হৈছিল। আন বহুতেই আন্দোলনটোত সক্ৰিয় অংশ গ্ৰহণ কৰি আহিছে। সম্প্ৰদায়টো বহল

অসমীয়া সমাজখনৰ লগত মিলি যাবলৈ ধৰিছে। তেওঁলোকে অসমীয়া ভাষাটো গ্ৰহণ কৰিছে। তেওঁলোকৰ মাজৰপৰা অসমীয়া কবি-সাহিত্যিক ওলাইছে। তেওঁলোকৰ মাজৰ শিল্পীয়ে ভাওনা কৰিব ধৰিছে। তেওঁলোকৰ ভালেমান জনগীততে অসমীয়া মাত-কথা সোমাই পৰিছে। সেইবিলাক অসমীয়া জনগীতৰে এটা বিভাগ। কিন্তু এই কথাও স্বীকাৰ কৰিব লাগিব যে তেওঁলোকৰ মাজৰ শিক্ষা-দীক্ষা লৈ সৰুৰেপৰা উঠি অহা চামৰ কাৰণে যথেষ্ট সংখ্যক কিতাপ-পত্ৰ আমি দিব পৰা নাই। তেওঁলোকৰ মনৰ খবৰ থকা কিতাপ-পত্ৰ প্ৰকাশ কৰাৰ বিশেষ প্ৰয়োজন আছে। আমাৰ কাৰ্যকালত এই দিশত অলপ কাম কৰাৰ চিন্তা মনত ৰাখিছোঁ।

ধৰ্মৰ নামতো মাজে মাজে মনোমালিন্য ঘটাৰ কথা যোৱা কিছু বছৰৰ ভিতৰত আমি শুনিবলৈ পাইছোঁ। এইটো অত্যন্ত পৰিতাপৰ বিষয়। এই ক্ষেত্ৰত ৰাজনৈতিক কাৰ্যকলাপৰ প্ৰভাৱ আছে। স্বাধীনতা আন্দোলনৰ সময়ত সাম্প্ৰদায়িকতাবাদী ৰাজনীতিয়ে গা কৰি উঠাৰপৰাহে এই অমঙ্গলীয়া সামাজিক ব্যাধিটাৰ উদ্ভৱ হয়। তথাপি ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমত এই ব্যাধিয়ে বৰ বেছি অন্যায় কৰিব নোৱাৰিলে। এই দিশত অসমীয়া সমাজ মুক্ত বুলি আমি গৌৰৱ কৰোঁ। আজানপীৰৰ লেখীয়া প্ৰতিভাশালী ব্যক্তিৰ হাতত পৰি জিকিৰৰ লেখীয়া জাতে-পাতে, কথাই-সুৰে যি অসমীয়া জনগীত ৰচিত হৈছে সিয়েই সেই মুক্ত অনুভৱৰ প্ৰমাণ দাঙি ধৰিছে। চৰিয়ৎ আৰু হাদিছৰ বিষয়বস্তু তাত আছে হয়, কিন্তু প্ৰকাশভংগীত জিকিৰ আৰু জাৰি গীতবিলাকক দেহবিচাৰৰ নিচিনা গীতৰপৰা বেলেগাই চাব নোৱাৰি— ৰেকিবুদ্দিন আহমদৰ কণ্ঠইতো সিবিলাকত অসমীয়া প্ৰাণৰে সঞ্চাৰ কৰিছে। আৰৱ জাহানত উদ্ভৱ হোৱা ইছলামৰ আদৰ্শ আৰু প্ৰভাৱ ভাৰতীয় তথা অসমীয়া সমাজত জীৱন্ত হৈ আছে। তথাপি মাত-কথা, চেহেৰা-পানী, খাদ্য-বস্ত্ৰ আদিত আৰৱখনক বিচাৰি পোৱা বৰ টান। এনে হোৱা সত্ত্বেও যে ধৰ্মীয় সম্প্ৰদায়ৰ নামত ৰাজনীতিয়ে আমাৰ মাজত বিভেদ সৃষ্টি কৰিব খোজে সেইটোহে দুশ্চিন্তাৰ বিষয়। যোৱা কেইবছৰত অসমত এনে অসজ প্ৰচেষ্টা চলা আমি দেখিছোঁ। ভাৰতীয় ৰাজনীতিত একশ্ৰেণী স্বাৰ্থপৰ মানুহে এনে খেলা চিৰদিন খেলি আহিছে। চলিত অসমৰ আন্দোলনৰ মাজতো সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই দিব খোজা আমাৰ চকুত পৰিছে। শুভ বুদ্ধিসম্পন্ন লোকে এই দিশত তীক্ষ্ণ দৃষ্টি ৰখা দৰকাৰ। যি ধৰ্মৰ ক্ষেত্ৰতে নহওক, সাম্প্ৰদায়িকতাবাদ অত্যন্ত গৰ্হিত। ইয়াৰ ভিত্তিতে একেখন হৈ আহিব ধৰা দেশৰ বিভাজন হ'ল। সাহিত্য সভাই কোনো ধৰণৰ সাম্প্ৰদায়িক আলোচনাত প্ৰবৃত্ত নহ'বলৈ নিয়ম বান্ধি লৈছে। এই সভাৰ যোগেদি অসমৰ সমূহ ৰাইজলৈকে এই বিষবাষ্প এৰাই চলিবলৈ আমি আহ্বান জনাওঁ।

অসম সাহিত্য সভাত মিলিত হ'লে আমি অসমৰ কথাই ঘাইকৈ আলোচনা কৰোঁ। কিন্তু তাৰ অৰ্থ এয়ে নহয় যে আমি মহাভাৰতৰ কথা পাহৰি গৈছোঁ। দেশৰ একেবাৰে এমূৰত পৰি থাকিলেও বিশাল ভাৰতৰ লগত আৱহমান কালৰে পৰা আমাৰ আত্মাৰ সম্পৰ্ক। ইংৰাজৰ শাসনৰ আগলৈকে ভাৰতবৰ্ষ একেখন ৰাষ্ট্ৰ কেতিয়াও নাছিল যদিও আধ্যাত্মিক আৰু সাংস্কৃতিকভাৱে আমি কোনো দিনেই ভাৰতৰপৰা বিচ্ছিন্ন বুলি বোধ কৰি অহা নাই। বেদসমূহ সংকলিত হ'বৰ সময়তে আৰ্যজাতিয়ে কিৰাতসকলৰ কথা লিপিবদ্ধ কৰিছিল। খ্ৰীষ্টীয় শতাব্দীৰ পাতনি কালতে প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপৰ কথা ভাৰতৰ অন্যান্য অঞ্চলত জনা গৈছিল বুলি মহাকাব্য দুখনৰ পৰা বুজা যায়। পৌৰাণিক যুগত নৰক-কৃষ্ণাদিৰ আগমন, কালিদাসৰ ৰচনাত এই অঞ্চলৰ বৰ্ণনা, খ্ৰীষ্টীয় সপ্তম শতিকাত মধ্যযুগৰ এজন সৰ্বশ্ৰেষ্ঠ ৰজা ভাস্কৰবৰ্মাৰ হৰ্ষবৰ্ধনৰ ধৰ্মসভালৈ দলবল লৈ কৰা যাত্ৰা— এইবিলাক বিষয় এই প্ৰসংগত সহজেই আমাৰ মনলৈ আহে। মহাপুৰুষ শংকৰদেৱৰ বিস্তৃত ভাৰত ভ্ৰমণ, মহাপুৰুষ মাধৱদেৱৰ ৰৰগীতত 'ধন্য ধন্য ভাৰতৱৰিষ' বুলি উল্লেখ— ইয়াতকৈ এই কথাৰ কি ডাঙৰ প্ৰমাণ লাগে? বৃটিছ ৰাজত্বৰ আগছোৱাতে হোৱা জাতীয় জাগৰণৰ স'তেও আমি নিজক বিলাই দিলোঁ— আনকি প্ৰথমৰ কংগ্ৰেছ আন্দোলনৰপৰা আমাক আঁতৰাই ৰাখিব খোজা সত্ত্বেও আমি উপযাচি তাত চামিল হ'বলৈ গৈছিলোঁ। মহাত্মা গান্ধীয়েও প্ৰথমে অসমীয়া মানুহৰ বিষয়ে এটা ভ্ৰান্ত ধাৰণা প্ৰকাশ কৰিছিল। সঁচা কথা যে পূৰ্বাঞ্চলৰ দূৰ-দূৰণিত পৰ্বতে-অৰণ্যই অনুন্নত অৱস্থাত বাস কৰা জাতিবিলাকৰ মাজত আৰ্যৰ দাৰ্শনিক-আধ্যাত্মিক চিন্তা-জগতৰ প্ৰৱেশ নিচেই কমকৈ হৈছিল। তথাপি বীৰ ভগদত্তই কুৰুক্ষেত্ৰলৈ যাওঁতে, প্ৰাগ্‌জ্যোতিষৰ কিৰাত সৈন্যসকলকে লৈ গৈছিল; কামৰূপৰ ৰজা শঙ্কলাদিবে উত্তৰ ভাৰতত দিগ্বিজয় কৰিবলৈ যাওঁতেও ৫০ হাজাৰ মঙ্গোলীয় সৈন্য লৈ গৈছিল। আদি প্ৰস্তৰ যুগৰ নিগ্ৰইড জাতিৰ চিন যদি নগাসকলৰ মাজত আছে, অষ্ট্ৰিক-ভাষী প্ৰট অষ্ট্ৰলইডৰ চিন যদি খাছী পাহাৰত আছে, দ্ৰাবিড় জাতিৰ বংশধৰ যদি অসমৰ অনুসূচীতসকলৰ মাজত আছে, তেন্তে ভাৰতবৰ্ষ নামৰ অস্তিত্বটোৰ গুৰিৰে পৰাই তাৰ সৈতে আমাৰ সম্বন্ধ। দৰাচলতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ

লগতে সুৰ মিলাই ক'ব পাৰি যে সমগ্ৰ মানৱ সংস্কৃতিৰে এটা অংগ ভাৰতীয় সংস্কৃতি আৰু সমগ্ৰ ভাৰতীয় সংস্কৃতিৰে এটা অংগ অসমীয়া সংস্কৃতি। সেয়ে যেনিবা পূৰ্বাঞ্চলত কিৰাতীয় প্ৰভাৱটো বেচি প্ৰকট। অসমত অসমীয়া ভাষাটোৱে এই সংস্কৃতিক এটা বিশিষ্ট ৰূপ প্ৰদান কৰিছে। সংস্কৃত আৰু প্ৰাকৃতৰ যোগেদি কামৰূপী অপভ্ৰংশৰপৰা এই ভাষাৰ উদ্ভৱ হৈছে; বিভিন্ন জাতিৰ ৰৱঙণি ইয়াৰ লৈ আহিল। বোধহয় এইবুলি ক'লে ভুল নহ'ব যে দাঁতিকাষৰীয়া বিভিন্ন জাতিৰ স'তে সম্বন্ধ ৰক্ষা কৰি আহোমসকলে ঘাইকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত এখন বিশাল সাম্ৰাজ্য স্থাপন কৰাৰ লগে লগে অসমখনক এফালে ভালেখিনি ঐক্যবদ্ধ কৰি তুলিলে, আনফালে তেনেকৈ অসমীয়া ভাষাটোকে ৰাজকীয় ভাষাৰূপে প্ৰয়োগ কৰি ইয়াক উন্নতিহতীয়া ভাষা কৰিও তুলিলে। আহোমৰ 'চাম' শব্দৰপৰাই কালক্ৰমতআচাম, আসাম, অসম আদি শব্দ ওলোৱা সম্ভৱ বুলি ভাষাতত্ত্ববিদ আৰু সাহিত্যৰ বুৰঞ্জীকাৰসকলে ঠাৰৰাইছে যে খ্ৰীষ্টীয় অষ্টম শতিকামানৰপৰাই এই ভাষাত সাহিত্য ৰচিত হৈ আহিছে। পুৰণি অসমীয়া সাহিত্য কিমান সমৃদ্ধিশালী এই কথা আপোনালোক সকলোৱে জানে। এই প্ৰাচীন সাহিত্যিক ঐতিহ্যৰে আমি উত্তৰাধিকাৰী।

উত্তৰাধিকাৰী হিচাপে আমি কি কৰিব পাৰিছোঁ ৰাইজে লক্ষ্য কৰি আহিছে। সাহিত্যৰ জৰিয়তে অসমবাসী ৰাইজৰ আশা-আকাংক্ষাই আত্মপ্ৰকাশ কৰাটো ইংৰাজে দেশ লোৱাৰে পৰা এটা ৰীতি স্বৰূপ হৈ আহিছে। অসম এছ'চিয়েচনৰ ৰাজনৈতিক কাৰ্য-কলাপ ঐতিহাসিক কাৰণতে এদিন কংগ্ৰেছৰ হাতলৈ গুচি গৈছিল আৰু অসম এছ'চিয়েচনৰ ৰভাতাঁলিতে ১৯১৭ চনত অসম সাহিত্য সভাৰ প্ৰথম অধিবেশন বহে। সাহিত্য সভাৰ যোগেদিয়ে কবি-সাহিত্যিকসকলে ভাষা-সংস্কৃতিৰ সংৰক্ষণ-সংবৰ্ধনৰ কামত আত্মনিয়োগ কৰে। সৱহভাগ কবি-সাহিত্যিক চৰকাৰী চাকৰিয়াল হোৱা সত্ত্বেও এই কাম তেওঁলোকে কৰি গ'ল। অৱশ্যে জাতীয় চেতনাক জীপ দিবলৈ চন্দ্ৰকুমাৰ আগৰৱালা আৰু ভাষাটোৰ স্বতন্ত্ৰতাৰ হকে যুঁজ-বাগৰ কৰিবলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ নিচিনা সাহসী সাহিত্যিক তেতিয়াও স্বাধীনভাৱে আছিল। মেঘনাদৰ দৰে আঁৰৰপৰা অস্ত্ৰচালনা কৰা পদ্মনাথ গোহাঞিৰুৱাৰ লেখীয়া ভাষাপ্ৰাণ যুঁজাৰুৱো আন এটা শ্ৰেণী আছিল। নৱন্যাস যুগৰ এইসকল সাৰথীৰ কাৰ্যাৱলী স্মৰণ কৰিলে আমি আজিও প্ৰেৰণা পাওঁ। সাহিত্যৰ যোগেদি দেশসেৱাৰ এই ৰীতিটো আজিও অব্যাহত আছে বুলিব পাৰি। আমাৰ দিনত সাহিত্য-চৰ্চালৈ লক্ষ্য কৰিলেই এই কথা ধৰিব পাৰি। যুদ্ধোত্তৰ যুগৰ নবীন কবি-কথা শিল্পীসকলে বহল বিশ্বৰ নৱতম অভিজ্ঞতাৰ সৈতে আমাৰ মানসিক সম্পৰ্ক স্থাপন কৰি দিয়ে। তাৰ দ্বাৰা নবীনসকলে যি সূক্ষ্ম আৰু বিস্তৃত পৰিৱৰ্তনৰ সূচনা কৰিলে সি হওঁতে প্ৰথমে জন্মলগ্নত কিছু কষ্টকৰ আছিল যদিও আজি সি সুপ্ৰতিষ্ঠিত। ৰোমাণ্টিক যুগত যেনেকৈ পাশ্চাত্যৰ অবাধ অনুকৰণ হৈছিল, তেনেকৈ যুদ্ধোত্তৰ যুগতো বহু সময়ত স্থান আৰু পাত্ৰৰ বৈচিত্ৰ্য বিবেচনা নকৰাকৈয়ে মোহাচ্ছন্নভাৱে অনুকৰণ কৰা হৈছিল। সমাজ-চেতনা নিশ্চয় নৱমুক্তিৰ পটভূমিত স্বতঃসিদ্ধ আছিল— সেইবাবে সাহিত্যত প্ৰগতিবাদ খাপ খাই পৰা নতুনত্ব হৈ উঠে। কিন্তু নতুন আংগিক, চিত্ৰকল্প আৰু জীৱনৰ অৰ্থ বা অৰ্থহীনতাৰ ধাৰণা আদি এনে কিছু নতুন কথা পশ্চিমৰপৰা পোনে পোনে অনা হয় যিবোৰ স্থান আৰু পাত্ৰৰ বিশেষত্ত্বৰ কাৰণে সহজে বোধগম্য হোৱা টান যেন দেখা গ'ল অথচ বহু গুণী কবিয়ে জীৱনক সূক্ষ্ম ৰূপত উপলব্ধি কৰি এইবিলাকৰ সহায়েৰেই কবিতাৰ সৃষ্টি কৰিবলৈ ল'লে। ৰসঘন, স্বপ্ন-পৰিসৰ একশ্ৰেণী জাপানী কবিতায়ো কিছুমানৰ ওপৰত প্ৰভাৱ পেলায়। গদ্য, প্ৰবন্ধ আৰু গল্পত কাৰ্ল মাৰ্ক্সৰ চিন্তা আৰু চিগমুণ্ড ফ্ৰয়ডৰ মনোবিশ্লেষণে দুটা নতুন দিশ মুকলি কৰি দিয়ে। অৱস্থিতিবাদৰ অনুশীলনীও অলপ-অচৰপ হয়। ব্ৰেখ্‌ট, পিৰাণ্ডেল্লে, ইবচেন, প্ৰাচীন গ্ৰীক ট্ৰেজেডিকাৰ ছফ'ক্লিছৰ অনুবাদ তথা অভিনয় যেনেকৈ হয়, তেনেকৈ আয়োনেস্ক আৰু বেকেটৰ চৰ্চাও পিছলি হ'বলৈ ধৰে। ইমানবিলাক নতুন কথা আহি পৰাত কিছু বিভ্ৰান্তিৰ সৃষ্টি হোৱা স্বাভাবিক। কেৱল মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ প্ৰয়োগেই এটা বিৰাট আলোড়নৰ সৃষ্টি কৰে, নতুন কবিতাৰ দুৰ্বোধ্যতা হাজাৰ ব্যাখ্যা সত্ত্বেও আপত্তিৰ কাৰণ হৈ আছিল। অৱস্থিতিবাদ আৰু এবছাৰ্ড থিয়েটাৰ প্ৰায় আলোচ্য বিষয়ৰ পৰ্যায়তে ৰৈ গৈছিল।

কিন্তু এনে নোহোৱা হ'লেহে আমি আচৰিত হ'লোহেঁতেন। আমি যদি বিশ্ব-সংস্কৃতিৰে ধাৰক আৰু বাহক, তেনেহ'লে বিশ্ব-সাহিত্যৰ সৈতে অসমীয়া সাহিত্যৰ এই নৱতম সম্পৰ্ক এটা স্বাভাবিক কথাই হৈছে। ইংৰাজৰ সৈতে প্ৰত্যক্ষ সম্বন্ধ ঘটাৰ কাৰণে হয়তো খেল্লপীয়েৰ আৰু ইংৰাজী সাহিত্য, বিশেষকৈ সেই দেশৰ ৰোমাণ্টিক সাহিত্যৰ অধ্যয়ন সহজেই হৈছিল। কিন্তু ড° বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ আদিয়ে অনা-ইংৰাজী য়ুৰোপীয় সাহিত্যৰ সৈতেও আমাক আগৰেপৰাই পৰিচয় কৰাই দি আহিছিল। দ্বিতীয় বিশ্বযুদ্ধই একপ্ৰকাৰে দূৰৰ বিশ্বখনক আমাৰ নিচেই ওচৰ চপাই দিয়াত বাহিৰৰ সাহিত্য-জগতত কি হৈছে

চাবলৈ আমি এটা ভাল সুযোগ পালোঁ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশ, ঔদ্যোগিক বিপ্লব, ফৰাচী বিপ্লব আৰু ছোভিয়েট বিপ্লব, দুখন বিশ্বগ্ৰাসী মহাযুদ্ধ ইত্যাদি আধুনিক প্ৰায়খিনি সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱা ঘটনাই ইউৰোপত হৈছে। এইবিলাক ঘটনাৰপৰাই বিশ্বই এক নতুন পথত খোজ পেলাইছে। কোনো এখন দেশেই এই পথ এৰি অন্য পথ ল'ব পৰা নাই। যুদ্ধৰ পৰৱৰ্তী কালত এটা সুবৰ্ণ সুযোগ পাই অসমীয়া সাহিত্যয়ো বিশ্ব-সাহিত্যৰ নতুন পৰীক্ষাবিলাক নিজৰ গাত পেলাই চাবলৈ চেষ্টা নকৰাটো ভ্ৰান্ত আৰু অস্বাভাৱিক হ'লহেঁতেন। ভাৰতৰ আন আন প্ৰধান ভাষাৰ সাহিত্যতো একেটা ধাৰাই দেখিবলৈ পোৱা যায়।

আমি উল্লেখ কৰা সকলোখিনি বিদেশী বস্তুৱেই যে আমাৰ সাহিত্যত হুবহু অন্তৰ্ভুক্ত হৈছে এনে নহয়। প্ৰথম অৱস্থাত প্ৰবীণ কবি যতীন্দ্ৰনাথ দুৱৰাৰ সৈতে ডেকা চামৰ আধুনিক কবিতাৰ আংগিক আৰু বিষয় লৈ যি উষ্ম তৰ্ক-বিতৰ্কৰ উদ্ভৱ হৈছিল সি লাহে লাহে শাম কাটি আহিল। ৰোমাণ্টিকতাৰ বেলিমাৰৰ পৰত দেৱকান্ত বৰুৱাই নতুন আঙ্গিকৰ 'দুৱাৰ মুকলি কৰোঁ' বুলি লাগিছিল, তাৰ পিছত বকুলবনৰ কবিয়েও 'পৃথিৱীৰ প্ৰেমে মোক দেৱলীয়া কৰিলে' বুলি স্বীকাৰ কৰি যেতিয়া নতুন ভংগী ল'লে তেতিয়া গৃহকন্দলৰ চোক তেনেই কমি গ'ল। মুক্তকক পুৰণা পয়াৰৰ সৈতে নতুন কবিয়েই সম্পৰ্ক স্থাপন কৰি দেখুৱাব খুজিলে। নতুন কবিয়েই গতানুগতিক ছন্দসজ্জা নথকা সত্ত্বেও তেওঁলোকৰ কবিতাত লয় থকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এজন নতুন কবিৰে বক্তব্য শুনকঃ 'প্ৰথমতে নানান লিখকে পৰীক্ষা-নিৰীক্ষাৰ যোগেদি বিদেশী সংজ্ঞা বা আঙ্গিৰৰ মাধ্যমেৰে তেওঁলোকৰ বক্তব্য ফুটাই তুলিবলৈ চেষ্টা কৰোঁতে কবিতা সাধাৰণ পাঠকৰ বাবে সহজবোধ্য হ'ব পৰা নাছিল। দ্বিতীয়তে এই দুৰ্বোধ্যতা কিছু পৰিমাণে আহিছিল কবিৰ সামগ্ৰিক চিন্তাধাৰাক কবিতাৰ স্বল্প পৰিসৰৰ মাজত ফুটাই তুলিবলৈ কৰা চেষ্টাৰ ফলস্বৰূপে। ব্যৱহাৰত শিলো ক্ষয় যায়। সেই পৰীক্ষাৰ যুগো এতিয়া পিছত থাকি আহিল। অসমীয়া আধুনিক কবিতাৰ সেই প্ৰাথমিক দুৰ্বোধ্যতাৰ দোষ বৰ্তমানে নাই বুলিয়ে ক'ব লাগিব।' চৰ্চা আৰু অনুশীলনৰ মাত্ৰা বৃদ্ধি হৈ যোৱাৰ লগে লগে আধুনিক অসমীয়া কবিতাই এক স্বচ্ছ আৰু নিটোল ৰূপ পৰিগ্ৰহ কৰিব ধৰিছে। কেইজনমান সূক্ষ্মদৰ্শী ডেকা সমালোচকৰ ক্লান্তিহীন প্ৰচেষ্টাৰ ফলস্বৰূপে নতুন কবিতাৰ মূল্য নিৰূপণত চিন্তাশীল পাঠকবৰ্গই নতুন পোহৰ দেখিবলৈ পাইছে। জয়ন্তী যুগত সমতা স্থাপনৰ প্ৰয়াসী প্ৰগতিবাদী কবিসকলৰ লগে লগে জীৱনৰ সত্য আৰু সৌন্দৰ্যৰ সন্ধানীসকলো যে বহু সময়ত একত্ৰিত হৈ আহিছিল এই দুয়োটা ধাৰাই নিজ পথেৰে আহি থাকি এসময়ত একোটা নিটোলৰূপ ধাৰণ কৰিবলৈ ধৰে।

গল্পতে হওক, নাটকতে হওক অৱস্থিতিবাদ, উদ্ভটবাদ, কাফকাৰ পদ্ধতি আদিৰ কিছু কিছু অনুশীলন হৈছে যদিও আৰু সিবিলাকৰ প্ৰভাৱ কিছু কিছু নপৰাকৈ থকা নাই যদিও, স্থায়ী আৰু ব্যাপক চিন বৈ যোৱা আমাৰ চকুত পৰা নাই। হয়তো এইবিলাকৰ আৰ্হি লৈ গল্প আৰু নাটক লিখিবলৈ লোৱা হৈছে, কিন্তু সেইবিলাক আৰ্হি কোনো ফালৰপৰাই মূলৰ সৈতে একে বুলি ক'ব নোৱাৰি। সিবোৰৰ অবিকল ৰূপ আমাৰ সামাজিক পৰিবেশত সৃষ্টি অনুশীলন নহ'ব এনে কথা আমি নকওঁ। এতিয়াও যেন কোনো কোনো তৰুণ লিখকৰ ৰচনাত এনে বিষয়ৰ প্ৰতিবিম্ব পৰিব ধৰিছে। ই কেৱল অভিনৱত্বৰ সন্ধান নে স্থায়িত্বৰ সম্ভাৱনাৰে পূৰ্ণ এতিয়াই ক'ব পৰা হোৱা নাই। কিন্তু এইবিলাক যে সজাগতা আৰু ঔৎসুক-অনুসন্ধিৎসাৰ লক্ষণ এই কথা স্বীকাৰ কৰিব লাগিব। স্বাধীনতাৰ এক দশকমানৰ পিছৰ যি হতাশা, মোহভংগ আৰু জীৱনৰ জটিলতা নতুন পুৰুষৰ সংগী হৈ পৰিছে সি তেওঁলোকক অস্থিৰ কৰি তুলিছে। স্বাভাৱিকতে তেওঁলোকে নতুন পথৰ সন্ধান কৰিছে। বোধহয় সেই কাৰণেই আধুনিক কবিতাৰ দুটা বিশিষ্ট ধাৰাৰ প্ৰগতিবাদী ধাৰাটোৰে সম্প্ৰতি তৰুণসকলৰ মাজত বেছি প্ৰধান্য লাভ কৰিছে। তেওঁলোকে বক্তব্য আৰু কাব্যৰ আৱেদনৰ সমন্বয় সাধিব পৰা নাই বুলি সমালোচকসকলে খেদ কৰিছে। তথাপি তেওঁলোকৰ মানসিক অশান্ত অৱস্থা এই প্ৰসংগত উল্লেখযোগ্য।

কবিতাৰ যোগেদি যুদ্ধোত্তৰ যুগত অসমীয়া সাহিত্যলৈ যি পৰিবৰ্তন আহিছিল সি সাহিত্যিৰ অন্যান্য শাখাকো বিশেষভাবে প্ৰভাৱান্বিত কৰে। সেয়ে আমি অসমীয়া গল্প, উপন্যাস আৰু নাটকতো নতুন নতুন পৰীক্ষা আৰু বিবিধ ঔৎসুক, আংগিক আদি দেখিবলৈ পাওঁ। যুদ্ধোত্তৰৰ প্ৰথম এটামান দশকলৈ অৱশ্যে উপন্যাসৰ সিমান বিস্তাৰ ঘটা নাছিল। কিন্তু চুটিগল্প আৰু নাটকত বিশেষ উৎসাহ-উদ্দীপনা দেখা যায়। সমালোচকসকলে লক্ষ্য কৰিছে যে ৰামধেনু যুগতে চুটিগল্পৰ যোগেদি সমাজচেতনা, সূক্ষ্ম মনোবিশ্লেষণ জনজীৱনৰ চিত্ৰণ, গল্পবস্তুক কলাত্মক ৰূপদানৰ চেষ্টা আদি যিমানবিলাক নতুনত্ব অনা হয় সিমানখিনি আগৰ

কোনো যুগতে কৰা হোৱা নাছিল। সেইদৰে নাটকতো নবীনৰ লগতে প্ৰবীণেও সম্পূৰ্ণ সামাজিক পটভূমিলৈ আহি নাৰী-মুক্তি, সামাজিক অবিচাৰ জটিল মানসিক দ্বন্দ্বৰ বিশ্লেষণ প্ৰতীকধৰ্মিতাৰে নানান জটিল প্ৰশ্নৰ উৎখাপন আদিৰ দ্বাৰা নতুন স্বাদৰ সৃষ্টি কৰা দেখিবলৈ পোৱা যায়। ক'ব পাৰি যে যুদ্ধৰ অৱসান আৰু স্বাধীনতা লাভে আনি দিয়া পৰিৱেশত উদগতি আৰু বিকাশৰ কাৰণে চৌদিশে যি নতুন উচ্ছ্বাসৰ উদ্ভৱ হৈছিল তাৰ প্ৰেৰণাতে এইবিলাক সৃষ্টিধৰ্মী সাহিত্য কৰ্ম হ'বলৈ ধৰে।

অৱশ্যে এটা দশকমানৰ পিছৰপৰা এই উচ্ছ্বাস স্তিমিত হ'বলৈ ধৰে। মন কৰিবলগীয়া যে সমান্তৰালভাৱে আমাৰ সমাজ জীৱনকো হতাশাই আগুৰি ধৰিবলৈ আৰম্ভ কৰে— অৰ্থনৈতিক ক্ষেত্ৰত ক্ৰমবৰ্ধমান ব্যৰ্থতাৰ চিন আৰু ১৯৬২ চনত চীনৰ হাতত হোৱা দেশৰ লাঞ্ছনাই সেই হতাশা গভীৰ কৰি তোলে। ৰামধেনু আলোচনীখনৰ প্ৰকাশ বন্ধ হৈ যোৱাত তাত থুপ খোৱা লেখক শ্ৰেণীটোও ছেদেলি-ভেদেলি হৈ যায়; হয়তো পৰিৱৰ্তিত পৰিৱেশত তেওঁলোক এনেয়েও বিচ্ছিন্ন হৈ পৰিল'হেঁতেন। ইয়াৰ পিছত একেখন পত্ৰিকাৰ যোগেদি ঐক্যবদ্ধ সাহিত্যকৰ্মত প্ৰবৃত্ত হোৱা আৰু দেখা নাযায়। সামাজিক সমালোচনা ক্ৰমাৎ তীব্ৰতৰ হৈ আহে আৰু নানা ক্ষুদ্ৰ আলোচনী প্ৰকাশিত হয়, আৰু তেনে সমালোচনাত নবীন লেখকসকল প্ৰবৃত্ত হয়। ঠিক মাৰ্ক্সীয় নহ'লেও বামপন্থী ভাবধাৰাই এইসকল নবীন লেখকক বেছিকৈ উদ্বুদ্ধ কৰে। কবিতাৰ প্ৰগতিবাদী ধাৰাটোৱে বেছিকৈ প্ৰভাৱবিস্তাৰ কৰাৰ দৰে গল্প সাহিত্যতো তীব্ৰ সামাজিক সমালোচনা হোৱা দেখা যায়। স্বাধীনতা সংগ্ৰামৰ ত্যাগ ব্যৰ্থ হৈ গ'ল; গাঁৱৰ সাধাৰণ খেতিয়কজন আগতকৈও বেছি শোষিতহে হৈ পৰিল; এনে কথাবোৰ আঙুলিয়াই গল্প লিখাৰ প্ৰৱণতা এটা ক্ৰমাৎ বৃদ্ধি হৈ অহা দেখা গ'ল। ৰাজনীতিত অনৈতিক আচৰণ, দুৰ্নীতিৰ অবাধ ৰাজত্ব, মূল্যবৃদ্ধিজনিত কষ্টকৰ জীৱনযাত্ৰা, আৰু এইবিলাকৰ বিপৰীতে প্ৰতিকাৰৰ কোনো উপায় নথকা অৱস্থা— ইয়াৰ প্ৰতিবিম্ব আমাৰ আজিৰ সাহিত্যত দেখিবলৈ পোৱা গৈছে। নবীন লেখকসকলে আমাৰ প্ৰচলিত সামাজিক পৰিস্থিতিৰ প্ৰতি এনেকৈ শুদ্ধভাৱেই প্ৰতিক্ৰিয়া কৰিছে। অৱশ্যে যোৱা পাঁচ বছৰৰ ব্যাপক গণ-আন্দোলনে অন্যান্য সকলো বিষয়ৰে সৈতে আজিৰ সাহিত্যকো ভালেখিনি আচ্ছন্ন কৰি পেলাইছে।

ষাঠিৰ দশকৰ পিছৰপৰা অসমীয়া উপন্যাসৰ প্ৰসাৰ দ্ৰুতগতিতে হ'বলৈ ধৰে। ইয়াৰ সঠিক কাৰণ নিৰ্ণয় হোৱা নাই। কিন্তু লক্ষ্যণীয় বিষয় এয়ে যে ৰামধেনু যুগৰ সৰহভাগ গল্প লেখকেই এই সময়ৰেপৰা ঔপন্যাসিকৰ ভূমিকাতো অৱতীৰ্ণ হয়। তেওঁলোক চেদেলি-ভেদেলি হৈ পৰাত আৰু একে সময়তে প্ৰতিষ্ঠানবিলাক বেছি হৈ অহাত সাহিত্যৰ বজাৰখন ডাঙৰ হৈ সহজে বিক্ৰী হোৱা উপন্যাসৰ চাহিদা দেখি কিজানি প্ৰকাশকসকলেই তেওঁলোকক উপন্যাস ৰচনাত প্ৰবৃত্ত কৰাবলৈ ধৰে। আন এটা কাৰণ এয়ে হ'ব পাৰে যে গল্প আৰু কবিতাৰ সীমিত পৰিসৰত যি জনজীৱনৰ কথা বহলকৈ ক'ব পৰা হোৱা নাছিল তাক উপন্যাসত ক'ব পৰাৰ বহুত বেছি সুবিধা ওলাল। কবি, গল্পকাৰ উভয়কে আমি উপন্যাস লিখা দেখিছোঁ। যুদ্ধৰ সময়ৰেপৰা উপন্যাস লিখাত বেছি মনোনিবেশ কৰা হৈছিল। কিন্তু সপ্তম দশকত যি ব্যাপক হাৰত উপন্যাস ওলাবলৈ ধৰে তাৰ তুলনাত ইতিপূৰ্বে ওলোৱা সমূহ অসমীয়া উপন্যাসৰ সংখ্যাও কম বুলিব পাৰি। আকৌ, উপন্যাস ৰচনাৰ এই নতুন ঢলৰ মাজতে ভালেমান সামাজিক অন্যায়ৰ সমালোচনা, গঠনমূলক কামৰ প্ৰতি উৎসাহ আৰু আৰ্থ সামাজিক বিষয়ৰ বিশ্লেষণ থকা উপন্যাস ওলায়। কিন্তু বাকী সৰহভাগেই বজাৰলৈ চকু ৰাখি লিখা বিধৰ উপন্যাস, যিবিলাকত সামাজিক বিশ্লেষণো নাই গভীৰ জীৱনবোধো নাই। কেইবছৰমানৰ আগলৈকে এশ পৃষ্ঠাৰ ভিতৰত এখন উপন্যাস লিখি দিয়াটো নিয়ম আছিল; আজিকালি ষাঠি পৃষ্ঠামানলৈ নামিছে। আলোচনীৰ বিশেষ সংখ্যাবিলাকে তাতোকৈ সৰু কৰাৰ পিনে মন দিছে। উপন্যাস সৃষ্টিধৰ্মী সাহিত্য। ইয়াক বজাৰে এনেদৰে চেপি ৰাখিবলৈ হ'লে আমাৰ সাহিত্য পংগু হৈ থাকিব। ঔপন্যাসিকসকলে এই অশুভ প্ৰৱণতাক প্ৰতিৰোধ কৰিব লাগে। অৱশ্যে মানবিশিষ্ট আৰু ডাঙৰ কলেবৰৰ উপন্যাসো ওলাইছে আৰু সেইবিলাকে পাঠক সমাজৰ সমাদৰো লভিছে। বুৰঞ্জীৰ বিশ্লেষণ কৰি একোটি মনোজ্ঞ সমাজ-চিত্ৰ দাঙি ধৰা কে'বাখনো ভাল উপন্যাস আমাৰ ভাষাত ওলাইছে; গ্ৰাম্য জীৱন ফুটাই তোলা আৰু প্ৰখ্যাত লোকৰ জীৱনী ভিত্তিক উপন্যাসো ওলাইছে, কিন্তু সংখ্যাত বৰ কম। ধৰ্মকেন্দ্ৰী নগৰবিলাকৰ সুপ্ৰাচীন ঐতিহ্যই গঢ় দিয়া বিচিত্ৰ জীৱনৰ প্ৰতি ঔপন্যাসিকৰ মনোনিবেশ চকুত নপৰে। দৰাচলতে প্ৰাচীন মহাকাব্যই যেনেকৈ জনজীৱনৰ ব্যাপক চিত্ৰণ কৰিছিল, তেনেকৈ আমাৰ দিনত উপন্যাসে সেই কাম কৰিব লাগে। অসম তথা সমগ্ৰ পূৰ্বাঞ্চলতে জনজীৱনৰ বৈচিত্ৰ্য ব্যাপক হোৱা সত্ত্বেও এই দিশটোৰ প্ৰতি আমাৰ লেখকসকলে বৰকৈ দৃষ্টি দিয়া নাই। বোধহয় বিদেশৰ বিখ্যাত উপন্যাসবিলাকৰ অসমীয়া ভাঙনিৰ আঁচনি এখন কোনোবাই হাতত ল'লে আমাৰ লেখক-

পাঠক উভয়ে বিশ্বৰ উপন্যাস সাহিত্যত কি কি ধৰণৰ কাম হৈছে তাক জানিবলৈ এটা সুযোগ পাব। অকল উপন্যাস কিয়, দেশ-বিদেশৰ সাহিত্য-সৃষ্টিৰ সন্ধান ধাৰাবাহিকভাৱে দি থাকিব পৰাৰ ব্যৱস্থা কৰিব পাৰিলে তাতোকৈ ভাল হয়। নোবেল বঁটা আৰু আন ভালেমান পশ্চিমীয়া জনপ্রিয় বঁটাৰ কথাই নকওঁ, সাহিত্য একাডেমিৰ পুৰস্কাৰবিলাকৰে পৰিচয় আমাৰ ভালদৰে নঘটে। তথাপি জনপ্রিয়তাৰ পর্যায়ত উপন্যাসৰ অনুবাদত বিশেষ গুৰুত্ব দিয়াৰ প্রয়োজন আছে।

শেহতীয়াকৈ আমাৰ ভাষাত অনুসন্ধানশীল প্রচেষ্টা বেছিকৈ হ'ব ধৰা দেখা গৈছে। সেইবাবে প্রবন্ধ বা আলোচনামূলক ৰচনাই পাঠকবর্গৰ দৃষ্টি আকর্ষণ কৰিছে। এইবিলাক আলোচনা নিতান্ত চর্বিত-চর্বন নহয়। লোক-সংস্কৃতি হক, বুৰঞ্জীৰ কোনো উল্লেখযোগ্য ঘটনা বা ব্যক্তি হক এইবিধ নতুন আলোচনাত বিজ্ঞান-সম্মত আৰু নিৰপেক্ষ দৃষ্টিভংগীৰ ডেকা সমালোচকসকলে বক্তব্য দাঙি ধৰিবলৈ প্রশংসনীয় প্রচেষ্টা হাতত লৈছে। একাধিক বৃহদাকাৰ স্বাধীনতা সংগ্রামৰ ইতিবৃত্ত ওলোৱাটোও উল্লেখযোগ্য। লেখকসকল স্বাধীনতা যুদ্ধত দীর্ঘদিন জড়িত লোক; সেইবাবে তেওঁলোকৰ বর্ণনাত গান্ধীবাদী আন্দোলনৰ প্রতি গভীৰ আস্থাৰ ভাব প্রকাশ পাইছে। এইবিলাক গ্রন্থই আমাৰ দিনত বিগত দিনৰ ত্যাগৰ প্রয়োজনীয়তা উপলব্ধি কৰাব পাৰিছে। সংখ্যাত কম হ'লেও অসমীয়া সংস্কৃতি, অসমৰ লোক-কলা, নন্দন তত্ত্ব, বিশ্বনাট্যচর্চাৰ পৰিচয় জ্ঞাপক আদি পুথি ওলোৱাটো আনন্দৰ বিষয়। যেনেকৈ অৰুণোদই আৰু আসাম বন্ধুৰ একোটা খণ্ড, মিলছৰ বিপৰ্ট আদি প্রকাশন পৰিষদৰ দ্বাৰা পুনর্মুদ্রিত হোৱাটো উল্লেখযোগ্য, তেনেকৈ আগৰ চাম কবি-শিল্পীৰ কে'বাজনৰো গ্রন্থাবলী বিভিন্ন প্রতিষ্ঠানৰপৰা ওলোৱাটোও আনন্দৰ কথা। বেজবৰুৱা, ৰঘুনাথ চৌধুৰী, পার্বতিপ্রসাদ বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণুপ্রসাদ ৰাভা, দুর্গেশ্বৰ শর্মা আদিৰ ৰচনাৰাজি নতুনকৈ একেলগে পাব পৰা হোৱাত অসমীয়া সাহিত্যৰ যি আধুনিক ৰেণেচেঞ্চ হৈছিল তাৰ নৱ-মূল্যায়ণৰ বিশেষ সুবিধা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ে ৰামায়ণ আৰু মহাভাৰতৰ পূর্ণাংগ অনুবাদৰ কাম হাতত লৈ আৰু ডিব্রুগড় বিশ্ববিদ্যালয়েও ভালেমান তত্ত্বালোচনাৰ গ্রন্থ প্রকাশ কৰি পাঠক শ্রেণীৰ ধন্যবাদৰ পাত্র হৈছে। এইবিলাকৰ লগে লগে ডেকা কবিসকলৰ কবিতা সংকলনো ভালেমান প্রকাশিত হৈছে। কিছু বৃহদাকাৰ কবিতা সংকলন তথা এই বিষয়ক চিন্তাশীল আলোচনাও ওলাইছে। অসম আন্দোলনেও ভালেমান পুথি-পত্র ওলোৱাত উৎসাহ যোগাইছে— উপন্যাস হওক কাৰাবাসৰ অভিজ্ঞতা হওক অথবা আন্দোলনৰ ব্যাখ্যা আৰু ইতিবৃত্ত হওক, এই বিষয়ক বহুতো পুথি ওলাইছে।

আমি যে ইমান বিলাক পুথিৰ উল্লেখ কৰিছো— এইবিলাক বিক্রী হয় নে নহয় বুলি কোনোবাই প্রশ্ন কৰিব পাৰে। অসমীয়া পুথিৰ বজাৰ সীমিত, তদুপৰি আজিও একোখন ভাল পুথিৰ বিক্রী সংখ্যা সিমান বেছি নহয় যে পুথি প্রণয়নকে এটা বৃত্তি হিচাপে ল'ব পৰা যায়। কিন্তু উৎসাহৰ কথা এয়ে যে কবিতা পুথি সমন্বিতে উল্লিখিত আলোচনামূলক পুথিবিলাক বিক্রী হৈ আহিছে। আমাৰ নিজা অনুসন্ধান মতে আমাৰ পচুৱৈ সমাজে বিবিধ ধৰণৰ গ্রন্থ বিচাৰে— অকল গল্প আৰু উপন্যাসেই নিবিচাৰে। পুথি-প্রদর্শনীবিলাকে অসমীয়া কিতাপ বিক্রীত কিছু সহায় কৰিছে। অসমীয়া মানুহে আন জাতিৰ তুলনাত কিতাপপত্র ৰবকৈ নিকিনেও নপঢ়েও— এই বুলি থকা বদনামৰ বিপৰীতে যেন অলপ নহয় অলপ পৰিবর্তন আনিছে। নহ'লে ৫০ বা ৬০ টকা দামৰ কিতাপবিলাক বিক্রী হৈ নগ'লহেঁতেন। কিন্তু অন্যান্য পুথিৰ তুলনাত শিশু-সাহিত্যৰ দিশটো আজিও অৱহেলিত হৈ থাকিল। যিসকল আমাৰ ভাষাৰ ভৱিষ্যৎ পাঠক, তেওঁলোকৰ কাৰণে উপযুক্ত অসমীয়া কিতাপ-পত্র নাই। ইংৰাজী প্রমুখ্যে অন্যান্য ভাষাত বহুতো আকর্ষণীয় শিশু-পুথি অসমৰ কিতাপ দোকানতে দেখিলে আমাৰ দৈন্যটো সহজেই বুজিব পাৰি। ভাষান্তৰ কৰা শিশু-আলোচনী আৰু অপৰাধমূলক কমিকছ পঢ়া দেখিলে আমাৰ বৰ বেদনা উপজে। এক-দুই ফর্মাৰ সাধুকথাৰ পুথি বেয়াকৈ ছপায়েই আমি আজিও এই দিশত পাল মাৰি আছোঁ। যিকেইখন শিশু-আলোচনী আৰু ৰং-ৰগৰৰ কবিতা পুথি ওলাইছে সেইকেইখনেই আশাৰ বস্তি টিমিক-টিমিককৈ জ্বলাই ৰাখিছে। লিখক, প্রকাশক আৰু অভিভাৱক সকলোৱে এই দিশত বিশেষভাৱে মনোনিবেশ কৰিব লাগে।

যোৱা পাঁচ বছৰমানৰ ভিতৰত অসমীয়া ভাষাত নানান ধৰণৰ আলোচনী ওলাইছে। সমগ্র ভাৰতবর্ষতে নানান উচ্চমানৰ বহুতো আলোচনী ওলোৱাৰ দৰে আমাৰ ভাষাতো বিবিধ বিষয় লৈ প্রকাশিত ইমানবিলাক আলোচনী ইতিপূর্বে কেতিয়াও ওলোৱা নাছিল। এফালে আমাৰ শিক্ষিত সমাজৰ মাজত নৱ-চেতনা এটা উদয় হৈছে, আনফালে তেওঁলোকৰ অনুসন্ধিৎসাও বৃদ্ধি পাইছে— আলোচনীৰ সংখ্যা বৃদ্ধিৰ এয়ে কাৰণ যেন লাগে। ব্যৱসায় কৰাটোও এই ক্ষেত্রত এটা উদ্দেশ্য নহয় বুলি ক'ব

নোৱাৰি। ব্যৱসায়িক ভিত্তিত এইবিলাক পত্ৰ-পত্ৰিকাক আত্মনিৰ্ভৰশীল কৰি তুলিব খোজাটো উৎসাহজনক। অৱশ্যে এইবিলাকৰ কিমান আলোচনী স্থায়ী হৈ ৰয় এতিয়াই কোৱা টান। বাতৰি কাকতৰ সংখ্যাও বাঢ়িছে;লগতে কাকতবিলাকৰ প্ৰচলনো যথেষ্ট বৃদ্ধি পাইছে। কেৱল কবিতাৰে আলোচনী প্ৰকাশৰ প্ৰচেষ্টা আনন্দৰ বিষয়, কিন্তু সাহিত্য বিষয়ক আলোচনী বৰ বেছি দেখা নাযায়। সংবাদপত্ৰ-মুখী আৰু লঘু ধৰণৰ সাহিত্যৰ পিনে ঢালখোৱা পঢ়ুৱৈৰ তুলনাত কেৱল সাহিত্যৰ পাঠক বৰ কম। গম্ভীৰ, চিন্তাপূৰ্ণ, অনুসন্ধানশীল সাহিত্য-পত্ৰিকাৰ সংখ্যা বৃদ্ধি নহ'লে আৰু সিবিলাকৰ প্ৰচলনো যথেষ্ট নহ'লে ভৱিষ্যতৰ কাৰণে দুশ্চিন্তাৰ কাৰণ থাকে। সেইদৰে অনুবাদৰ ক্ষেত্ৰতো আমি উৎসাহিত হ'ব পৰা নাই। বিখ্যাত বিখ্যাত বিদেশী কবিৰ কবিতাৰ ভাঙনি ভালেখিনি হৈছে হয়; কিন্তু বিদেশী সাহিত্যৰ ধাৰাবাহিক অনুবাদৰ উদ্যম আমি দেখিবলৈ পোৱা নাই। আমাৰ দেশৰ বিভিন্ন প্ৰান্তীয় সাহিত্যৰ সোৱাদ আমি যথেষ্ট নাপাওঁ। আমি যি বিদেশী সাহিত্য পঢ়োঁ তাক সাধাৰণতে ইংৰাজী ভাষাৰ যোগেদিহে পাওঁ। ইংৰাজী ভাষাই ঘনাই আৰু ধাৰাবাহিকভাৱে অনূদিত গ্ৰন্থ প্ৰকাশ কৰে। ছোভিয়েত ইউনিয়ন আৰু চীনাদেশেও নিজ নিজ দেশৰ সাহিত্য ইংৰাজীলৈ তৰ্জমা কৰি প্ৰচাৰ কৰে। ৰুছ আৰু জাপানী ভাষাতো নিয়মীয়াকৈ বিদেশী সাহিত্য অনুবাদৰ ব্যৱস্থা আছে। ভাৰতত সাহিত্য একাডেমি আৰু নেছনেল বুক ট্ৰাষ্টে সকলো ভাৰতীয় ভাষাৰ কাৰণে কিছু অনুবাদৰ কাম কৰায় যদিও সি মুঠেই যথেষ্ট নহয়। অসমত পুথি প্ৰকাশ ব্যৱস্থাটো উদ্যোগৰ শাৰীত এতিয়াও উঠাগৈ নাই বাবেই হ'বলা এনে ধাৰাবাহিক অনুবাদৰ উদ্যম হাতত লোৱা নাই। ইয়াৰ ফলত প্ৰতি বছৰেই বিশ্ব-সাহিত্যৰ ন-ন সৃষ্টি-কৰ্তাৰ সোৱাদ অসমীয়া পঢ়ুৱৈ সমাজে ল'ব পৰা নাই।

বন্ধুসকল, আমি বেছ দীঘলীয়াকৈয়ে অসমৰ সমাজ আৰু সাহিত্য-কৰ্মৰ বিষয়ে আলোচনা কৰিলোঁ। আপোনালোকৰ ধৈৰ্যচ্যুতি ঘটাবৰ ইচ্ছা আমাৰ নাই। বোধহয় সংকট আৰু সমস্যাৰ কথাই বেছিকৈ কোৱা হ'ল। আমাৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু আমাৰ ভৱিষ্যতৰ লগত এইবিলাকৰ ঘনিষ্ঠ সম্পৰ্ক আছে। অসমীয়া জাতিটোৰ অস্তিত্ব আৰু অসমীয়া ভাষাটোৰ স্বতন্ত্ৰতা, এই দুয়োটা পৰস্পৰৰ স'তে জড়িত। বৰ্তমান পৰিস্থিতিত সেইবাবেই সমস্যাৰ কথা আমাৰ মনলৈ বেছিকৈ আহিছে। আমাৰ বক্তব্যখিনি আপোনালোকে বিবেচনা কৰি চাব। সেইবিলাক কথাৰপৰাই আমি কেইটামান পৰামৰ্শ সদৌ অসমীয়া ৰাইজৰ আগত দাঙি ধৰিলোঁ। এইবিলাক কাৰ্যকৰী কৰাৰ ব্যৱস্থা হ'লে আমাৰ ভাষা আৰু জাতিৰেই মঙ্গল হ'ব বুলি আমি ধাৰণা কৰিছোঁ।

(১) অসমত সুদীৰ্ঘ কাল ধৰি বসবাস কৰি অহা সমূহ ৰাইজৰ মাজত সম্প্ৰীতি আৰু সমন্বয়ৰ অতিশয় প্ৰয়োজন হৈছে বুলি আজি বিশেষভাৱে অনুভূত হৈছে। সেয়ে যেতিয়াই কিবা প্ৰশ্নত লাগি সম্প্ৰীতি সমন্বয়ত বাধাৰ সৃষ্টি হ'ব খুজিব পাৰে তেতিয়াই প্ৰতিকাৰৰ চেষ্টা চলোৱা উচিত হ'ব। সাহিত্য সভাৰ উদ্যোগত এনে এখন সমন্বয়-ৰক্ষী সমিতি গঠন কৰিব লাগে যাৰ বিবেচনাৰ অৰ্থে আৰু প্ৰতিকাৰৰ উপায় নিৰ্ধাৰণৰ অৰ্থে তেনে প্ৰশ্ন পঠিয়াব পাৰি। এই সমিতিলৈ তেনে প্ৰশ্নৰ লগত জড়িত পক্ষৰ প্ৰতিনিধি আমন্ত্ৰিত হ'ব।

(২) অসমীয়া ভাষাৰ প্ৰাধান্য অক্ষুণ্ণ হৈ থকাকৈ অসমতশিক্ষা লাভ কৰা আৰু অসমত চাকৰি কৰিবলৈ অহা সকলো লোকৰ কাৰণেই অসমীয়া শিকাটো বাধ্যতামূলক কৰাৰ ব্যৱস্থা হ'ব লাগে।

(৩) অসমীয়া পঢ়ুৱৈ সমাজে চলিত বিশ্ব-সাহিত্যৰ সৈতে সততে পৰিচিত হৈ থাকিব পৰাকৈ ধাৰাবাহিক অনুবাদ কৰা আৰু কেৱল বিদেশী সাহিত্য বিষয়ক এখনি আলোচনী প্ৰকাশ কৰাৰ উপায় নিৰ্ধাৰণ কৰিব লাগে। দুয়োটা বিষয়তে সাহিত্য সভায়ো সহযোগিতা আগবঢ়াব পাৰে।

(৪) অসমৰ পুথি প্ৰকাশক আৰু বিক্ৰেতা প্ৰতিষ্ঠানসমূহৰ বিবেচনাৰ্থে কওঁ যে (ক) ৰাইজৰ মাজত গ্ৰন্থ-প্ৰীতি বৃদ্ধি কৰিবৰ কাৰণে প্ৰতি বছৰে একোটা কেন্দ্ৰত এখনকৈ গ্ৰন্থ-মেলাৰ আয়োজন কৰিব লাগে; আৰু (খ) ভৱিষ্যৎ বংশধৰসকলৰ মনত অসমীয়া পঢ়াৰ আগ্ৰহ সৃষ্টি তথা বৃদ্ধি কৰি ৰাখিবৰ কাৰণে আকৰ্ষণীয়কৈ নানান শিশু-পুথিৰ প্ৰণয়ন, প্ৰকাশ আৰু প্ৰচলনৰ এটা উপায় উদ্ভাৱন কৰিব লাগে।

ইমানতে সামৰণি মাৰি ৰাইজলৈ নমস্কাৰ জনালোঁ।

-- * --

দ্বি-পঞ্চাশত্তম্ অধিবেশন

কামপুৰ, ১৯৮৬ খ্ৰীঃ

বীৰেন্দ্ৰ বৰকটকী

আদৰণী সমিতিৰ শ্ৰদ্ধেয় সভাপতি ডাঙৰীয়া আৰু সদস্যসকল, অসম সাহিত্য সভাৰ মাননীয় বিদায়ী সভাপতি মহোদয়, পৰম শ্ৰদ্ধাৰ প্ৰাক্তন সভাপতি আৰু বিশিষ্ট অতিথিসকল, প্ৰিয় প্ৰতিনিধিবৰ্গ, সাহিত্যসেৱী বন্ধু-বান্ধৱীসকল আৰু এই কামপুৰৰ পৱিত্ৰ মাধৱ কন্দলী ক্ষেত্ৰৰ মহামাণিক্য মণ্ডপত সমবেত হোৱা চিৰ চেনেহী ভাষা জননীক মনে-প্ৰাণে ভালপোৱা মোৰ সেৱাৰ থলী জাগ্ৰত ৰাইজ, এফালে জাতীয় চেতনাক জাগ্ৰত কৰি নিজৰ ওপজা মাটিৰ লগত নিবিড় সম্বন্ধ গঢ়ি উন্নত সাংস্কৃতিক জীৱন ৰক্ষা কৰিবলৈ যোৱা দুবছৰে ওলাই অহা গণশক্তি আৰু আনফালে এই গণশক্তিক মষিমূৰ কৰিবলৈ নিৰ্যাতন, নিষ্পেষণ, বিভেদ সৃষ্টি আদিকে নীতি কৰি লৈ নিৰপৰাধী অসমীয়া ৰাইজৰ বহুজনৰ বুকুৰ তেজেৰে ৰঙালী হোৱা অসমৰ মাটি গচকি, গণতন্ত্ৰক হত্যা কৰি ইতিহাসৰ ৰাজনৈতিক অধ্যায় কলংকিত কৰা তিৰাশীৰ নিৰ্বাচনৰে নিৰ্বাচিত, ৰাইজে নিৰিচৰা অথচ ৰাইজৰ ওপৰত বলেৰে জাপি দিয়া চৰকাৰ। মহামানৱ মহাত্মা গান্ধীৰ অহিংস বাণীৰে উদ্বুদ্ধ হৈ অসম তথা ভাৰতৰ অস্তিত্বৰ কাৰণে জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে একমুঠে গোট খাই অসমীয়া ৰাইজে পৃথিৱীত নোহোৱা-নোপজা যি অহিংস সংগ্ৰাম কৰিলে—তাত অসমৰ জনগণৰ জয় হ'ল। বৃহৎ ভাৰত-ভূমিৰ বুকুত এখন সমৃদ্ধিশালী নতুন অসম গঢ়িবলৈ ঐক্য, শান্তি, প্ৰগতিৰ মহাবাণী লৈ অসম আইৰ চৰণ ধূলিৰে তিলক পিন্ধি আমাৰ সচেতন তৰুণ শক্তিক আগবঢ়াই দিয়া বিজয়ী জনগণৰে একাংশ আহি কামপুৰত অসম সাহিত্য সভাৰ পতাকাৰ তলত গোট খাইছেহি। আপোনালোকক এই নিঃকিনে সেৱা জনোৱাৰ আগতে অসমৰ অস্তিত্ব ৰক্ষাৰ কাৰণে, সংগ্ৰামী জনতাৰ মাজৰে বুকুৰ কেঁচা তেজেৰে দুবৰি দলিচা বোলাই যোৱা অমৰ শ্বহীদসকলৰ আত্মাৰ প্ৰতি অন্তৰভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। যোৱা দুবছৰে বিভিন্ন নিৰ্যাতনত পংগু হোৱা অগণন দেশপ্ৰেমিক, চহৰে-নগৰে, গাঁৱে-ভূঞে আন্দোলনৰ সময়ছোৱাত বুকু সুদা হোৱা পিতৃ-মাতৃ, স্বামীহাৰা অভাগিনী পত্নীসকলক জাতিৰ এই নৱচেতনাৰ সময়তে সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নতিৰ কাৰণে চিন্তা কৰা জাতিৰ প্ৰাণস্বৰূপ অসম সাহিত্য সভাৰ ইতিহাসে সুঁৰৰিব লগা অধিবেশনত গোটথোৱা সচেতন ৰাইজৰ ওচৰত স-ভক্তিৰে মূৰ দোঁৱাইছোঁ। আশীষ নিৰ্মালি বৰিষণ কৰক যাতে ভগৱানৰ অসীম কৰুণা আৰু ৰাইজৰ উৎসাহ-উদ্দীপনা আৰু অদম্য সৃষ্টিকামী শক্তিৰ মাজতেই এই অভাজনে সামান্য শক্তি সামৰ্থ্যৰে ভাষা-জননীৰ সেৱা কৰিবলৈ সমৰ্থ হ'ব পাৰোঁ। মই মোৰ জ্ঞান-বুদ্ধিৰ সীমাবদ্ধতা সম্পৰ্কে সচেতন। তথাপি, গুণী-জ্ঞানী সাহিত্যিকসকলে অলংকৃত কৰি যোৱা এই পৱিত্ৰ আপুকগীয়া আসনখনলৈ আপোনালোকে যেতিয়া মোৰদৰে অতি নগণ্য সাহিত্যসেৱী এজনক আগবঢ়াই দিছে, মই ৰাইজৰ অফুৰন্ত কৰ্মশক্তিৰ মাজতো সোমাই পৰি মোৰ সামান্য কৰ্ম-নিষ্ঠাক অধিক শক্তিশালী কৰিবলৈ যত্নৰ ত্ৰুটী নকৰোঁ।

ছবছৰীয়া বিদেশী বিতাৰণৰ আন্দোলনৰ পাছত বাৰেবৰণীয়া সংস্কৃতিৰ মিলনক্ষেত্ৰ—অসমৰ জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে ৰাইজে ওপজা মাটিৰ কল্যাণৰ কাৰণে অগ্নিস্নান কৰি ওলাই অহা তৰুণ শক্তিৰ হাতত অসম চুক্তিৰ সফল ৰূপায়ণৰে শান্তি-ঐক্য-প্ৰগতিৰ ভেঁটিত এখন নতুন অসম গঢ়াৰ দায়িত্ব অৰ্পণ কৰিছে। এই দায়িত্ব তেওঁলোকে প্ৰকৃত গণতান্ত্ৰিক পদ্ধতিৰে কান্ধ পাতি লৈছে। লুইত আৰু ৰৰাকৰ দুয়োপাৱৰ ৰাইজৰ সম্প্ৰীতি সাধনাত ব্ৰতী হৈ পৰ্বত-ভৈয়ামৰ চিৰকলীয়া প্ৰেম-

প্রীতিৰে সাতভনীৰ হাতত ধৰাধৰিকৈ ভাষা, সাহিত্য, সংস্কৃতি আৰু আৰ্থ-সামাজিক বিকাশৰ বাস্তৱ আঁচনিৰে এখন সুন্দৰ ভাৰতৰ বুকুত এখন নতুন সাজেৰে সুন্দৰ অসম গঢ়ক—নৱ-চেতনাৰ নৱ-জাগৰণৰ যাত্রা-ক্ষণত অসমৰ এই তৰুণ শক্তিলৈ আমি এই শুভ দিনত পবিত্র পতাকাৰ তলত অন্তৰ উপচি পৰা শুভেচ্ছা জনাইছোঁ—চৰৈয়তি চৰৈয়তি।

আজি আৰু নকৈ ক'ব নালাগে যে, অসমীয়া ভাষাই যিটো ৰূপ পাইছেহি সেই ৰূপত অসমৰ প্রত্যেক জনগোষ্ঠী, দেশী-বিদেশী বিভিন্ন লোকৰ অৱদান আছে। জীৱিত আৰু উন্নতশীল ভাষাৰ বিকাশৰ ৰূপ এইটোৱেই। মানুহৰ মিলন-ভূমিলৈ মানুহে জীৱিকা-নির্বাহৰ পদ্ধতিৰ মাজেদি ভাষা আনে, সংস্কৃতি আনে। নিগাজীকৈ বসবাস কৰিবলৈ লোৱা চিনাকি মাটিত থলুৱা প্রাণৱন্ত ভাষা আৰু সংস্কৃতি ৰৱলুইত হয়। সেয়েহে পূব আৰু পশ্চিমৰ খোলা দুৱাৰেদি 'মিলাম, মিলিম আৰু উভতি নেযাম' এই মন্ত্র লৈ সোমোৱা বিভিন্ন জনাগোষ্ঠীয়ে নিজ নিজ ভাষা-সংস্কৃতিৰ অৱদান লৈ, সোৱণশিৰী, ভৰলী, কপিলী, দিখৌ, দিচাং চম্পাৱতী আদি নানান উপনৈ নিজ নিজ জলধাৰাৰে ৰৱলুইতত পৰাৰ দৰে ভাষা-সংস্কৃতিৰ ৰৱলুইতত পৰিছেহি। অসমৰ বুকুৰেদি বৈ যোৱা ৰৱলুইতৰ দুর্বাৰ শক্তিৰ শুৰিত আছে ইয়াৰ উপনৈসমূহৰ নিজস্ব শক্তিৰ অৱদান। ঠিক সেইদৰে অসমীয়া ভাষা-সংস্কৃতিৰ ৰৱলুইতৰ আধাৰ হ'ল—ইয়াত মিলিত হোৱা। বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতিসমূহৰ শক্তি। অসমত অতি প্রাচীন কালৰপৰা থকা জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতি বিকাশত অসম সাহিত্য সভাৰ অন্তৰ উপচি পৰা আনন্দ আছে—বিনাদ্বিধাই আগবঢ়োৱা সহায়ৰ মুক্ত হাত আছে। এই মুক্ত হাতত ধৰাধৰিকৈ গ'লেহে সমন্বয়ৰ ভূমিক অসমত সংযোগী অসমীয়া ভাষাৰো বিকাশ হ'ব, লগতে জনগোষ্ঠীসমূহৰ ভাষাৰো বিকাশ হ'ব। প্রগতিৰ ওখ বাটেদি গৈ থাকোঁতে সমন্বয়ৰ এনাজৰীৰ হাত এৰি ইফাল-সিফালে চালে সকলোৰে পৰাৰ সম্ভাৱনা বেছি।

ভূগোলৰ কৃত্রিম সীমাৰেখাই মনৰ সীমাৰেখাৰ নহয়। কোনো কোনো চৰকাৰৰ অদূৰদর্শিতাত অসমৰ ওচৰ-চুবুৰীয়া ৰাজ্যৰ কোনোবা সীমান্তত সীমাৰখীয়া অসমৰ প্রহৰীৰ ভালেকেইজনৰ আৰু সীমান্তৰ নিৰপৰাধী ভালেখিনি ৰাইজৰ কলিজাৰ তেজ পৰিল, ঘৰ জুইত জাহ গ'ল সঁচা, কিন্তু সীমাৰে এনে ৰাজ্যৰ জনসাধাৰণৰ লগত আমাৰ জনসাধাৰণৰ মনৰ অমিল নাই। বেহা-বেপাৰৰ কাৰণে আহোঁতে বজাৰত লগ পালে বা সংস্কৃতিৰ সংগমভূমিত কেতিয়াবা লগ পালে তেনে ৰাজ্যৰ লোকে শুনি ভাল লগা, হেনা-হুচা অসমীয়া ভাষাতেই মনৰ ভাব প্রকাশ কৰে—সুখ-দুখত ইখন ৰাজ্যৰ জনসাধাৰণে সিখন ৰাজ্যৰ জনসাধাৰণৰ কাষ চাপে। শাসনৰ ৰাজনীতিয়ে অৰুণাচল, নগাভূমি, মেঘালয়, মিজোৰাম আমাৰপৰা ভূগোলৰ সীমাৰখা টানি আঁতৰাই নিলেও মনৰ আঁতৰ হ'বলৈ সম্প্রীতিৰ ইতিহাসে নিদিয়ে। অৰুণাচল-নগাভূমিৰ ৰাইজৰ আমাৰ ৰাইজৰ লগৰ মনৰ ভাব প্রকাশ কৰাৰ মাধ্যম হ'ল অসমীয়া ভাষা। আনকি তেওঁলোকৰ নিজৰ মাজতো ইটো ফৈদে সিটো ফৈদৰ লগত ভাবৰ আদান-প্রদান কৰা স্বাভাৱিক ভাষা হ'ল অসমীয়া। অসমীয়া ভাষাই তাহানি কালৰপৰা পর্বতে-ভৈয়ামে সকলোকে যেন মৰমতে আঁকোৱালি ল'লে। সেয়েহে অসমীয়া ভাষা কাৰো কাৰণে গা-গছৰ ৰঘুমলা নহয়; শুৱনী কপৌ ফুলহে।

অসমত অসমীয়া ভাষা ৰাজ্যিক ভাষা ৰূপে স্বীকৃত হোৱা একুৰি পাঁচবছৰ পাৰ হ'ল। ৰূপালী জয়ন্তী উৎসৱো পালন হৈ গ'ল। অসমৰ নতুন চৰকাৰে উপলব্ধি কৰিছে যে, আইনখন মর্মে মর্মে প্রয়োগ কৰাৰ সময় উপস্থিত। যোৱা বছৰ বড়ো ভাষাকো অসম চৰকাৰে সহযোগী ৰাজ্যিক ভাষা হিচাপে স্বীকৃতি দিছে। বড়োভাষী অঞ্চলৰ কাৰণে স্বীকৃতি দিছে। ভাষাৰ স্বীকৃতিয়েই যথেষ্ট নহয়, ইয়াক কার্যকৰী কৰিবৰ ব্যৱস্থা কৰিব লাগিব। অতি দুখেৰে সঁচা ক'ব লাগিব যে, যোৱা পঁচিছ বছৰে ভাষা সম্পর্কে ৰাইজে মাত মাতিলে অসম চৰকাৰে চৰকাৰী নির্দেশ এটা দিছে, মুদ্রা লিখন যন্ত্র কেইটামান কিনে আৰু কার্যালয়ে কার্যালয়ে ফলক কেইখনমান আঁৰি দিয়ে। লেজুত ধৰি বল নিদিয়া আগৰ চৰকাৰসমূহ, কিছুসংখ্যক অনা-অসমীয়া আৰু অসমীয়া বিৰোধী উচ্চপদস্থ বিষয়া আৰু তেওঁলোকৰ লগত উজান দি ভাল পোৱা, মাতৃভূমিৰ কাৰণে চিন্তা নকৰা দুই-চাৰি তেনে অসমীয়া উচ্চপদস্থ বিষয়াৰ অসমীয়া ভাষাৰ প্রতি থকা বিৰূপ চিন্তাই, বহুতো কর্মচাৰীৰ অমনযোগিতা আৰু নীচাত্মিকভাৱে অসমীয়া মুদ্রা লিখন যন্ত্র মেজৰপৰা কার্যালয় চুকলৈ ঠেলিলে। সৰহসংখ্যক কার্যালয়ত অসমীয়া ভাষা নচলিল—ইংৰাজীয়েই চলি থাকিল। চাকৰি-বাকৰিৰ ক্ষেত্রত বিজ্ঞাপন, চাকৰিৰ নিয়োগ-পত্র, দৰ্খাস্ত, সাক্ষাৎকাৰ আদিত ইংৰাজী ভাষাই আগতকৈ বেছিকৈহে খোপনি পুতিলে। অতি দুখ আৰু লাজেৰে ক'বলগীয়া হৈছে যে, পঞ্চায়তলৈ যোৱা চিঠি-পত্রও ইংৰাজীতে যোৱা

হ'ল। তেহেলৈ পঞ্চায়তৰ সভাপতিয়ে সেইখন মাতি বুজিব পাৰকেই বা নোৱাৰক।

ইংৰাজ আমাৰ দেশৰপৰা গুচি যোৱা ভালেমান বছৰ হ'ল। কিন্তু ইংৰাজী ভাষাৰ প্ৰতি, ইংৰাজী আদব-কায়দাৰ প্ৰতি আমাৰ সমাজত আমি মূৰ দণ্ডাসকল বেছি সচতেন হৈ থাকিলোঁ। আমি এনেকুৱা নীচাত্মিকা ভাব পোষণ কৰি আহিছোঁ যে; পৌৰসভাৰ পানীৰ সংযোগ দিবলৈ অনুৰোধ কৰি লিখা দৰ্খস্তখনো ইংৰাজীত লিলিখিলে যেন আমাৰ ত্ৰুটী হ'ব, আমাক কোনোবাই ইংৰাজী নজনা বুলি ভাবিব। ইংৰাজী ভাষাৰ বানান এটা ভুল হ'লে বাক্য-গাঁথনিত অলপ আঁৰ লাগিলে দেখুৱাই দিয়াৰ পাছত আমি লাজ পাওঁ, তেনে ভুলৰ ওপৰত আলোচনা-বিলোচনা হয়। কিন্তু আমাৰ মাতৃৰ কোলাতে আৰম্ভ কৰা অসমীয়া ভাষা কওঁতে-লিখোঁতে অগণন ভুল কৰিলে আমি লাজ অনুভৱ নকৰোঁ। কোনো কোনোৱে গৰ্ব অনুভৱ কৰাৰ দৰে কয়—'মোৰ আকৌ অসমীয়া লেখাত হাত নচলে, বৰ ভুল হয়।' সভাই-সমিতিয়ে অসমীয়া ভাষা-সংস্কৃতিৰ জয়গান গোৱা কোনো কোনো লোকৰ মুখতো শুনিছোঁ—'মোৰ সৰু সৰু নাতিনীকেইটাই অসমীয়া লিখিব-পঢ়িব নেজানে।' চহৰে-নগৰে আজিকালি মন কৰিলেই গম পোৱা যায় যে সম্বন্ধবাচক ইংৰাজী শব্দবিলাকে লাহে লাহে আমাৰ অসমীয়া সম্বন্ধবাচক শব্দবিলাকক গাঁৱলৈ ঠেলিছে। ঔদ্যোগিক নগৰবিলাকতো কথাই নাই।

অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয়বিলাকৰ শিক্ষা বেয়া, পৰিবেশ বেয়া—এই অজুহাততে নগৰবিলাকত ইংৰাজী মাধ্যমৰে প্ৰাক্-প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয় ব্যৱসায়িক ভিত্তিত গঢ়ি উঠিছে। তাতে আমি সমাজত মূৰ দণ্ডা মানুহখিনিৰ বহুতেই কণ কণ ল'ৰা-ছোৱালীক পঢ়াবলৈ হেতাওপৰা লগাইছোঁ। সৰুৰেপৰা বিজতৰীয়া সংস্কৃতিৰ মনোভাৱেৰে ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালীয়ে সময়ত প্ৰকৃতভাৱে নিজৰ ওপজা মাটিৰ লগত সম্বন্ধ থকা ভাষা, সাহিত্য-সংস্কৃতিক আপোনভাৱে আদৰিব নেজানিব। পৃথিৱীৰ সকলোদেশৰ শিশুৰ নিজৰ ওপজা মাটিৰ লগত সম্বন্ধ থকা ভাষা, সাহিত্য-সংস্কৃতিক আপোনভাৱে আদৰিব নেজানিব। পৃথিৱীৰ সকলোদেশৰ শিশুৰ নিজৰ মাতৃভাষাৰ বৰ্ণমালাৰ লগতেহে প্ৰথম জ্ঞানৰ পৰিচয় বিচৰা মনৰ চিনাকি হয়। ই এক স্বাভাৱিক প্ৰক্ৰিয়া। এই স্বাভাৱিক প্ৰক্ৰিয়াৰ মাজেদিয়েই জানো আমাৰ মাজত অসমীয়া আৰু ইংৰাজী ভালকৈ জনা ড° বাণীকান্ত কাকতি, ড° সূৰ্যকুমাৰ ভূঞা, পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ, হেম বৰুৱা আদিৰদৰে বিদ্বানমণ্ডলী ওলোৱা নাছিল? এতিয়াও আমাৰ জীৱিত লোকৰ ভিতৰত ইংৰাজীত ভাল ব্যুৎপত্তি থকা বিজ্ঞলোক পাঠশালাৰ মজিয়া গৰকা নহয় জানো? আমাৰ কণ কণ ল'ৰা-ছোৱালীৰ মন যাতে বিজতৰীয়া সংস্কৃতিৰে পৰিপূৰ্ণ নহয়, তাৰবাবে চকু ৰাখিবলৈ পিতৃ-মাতৃসকললৈ-বিশেষকৈ মাতৃজাতিলৈ অভাজনৰ বিশেষ অনুৰোধ থাকিল। পিতৃতকৈ মাতৃয়েহে শিশুক গঢ় দিব পাৰে। মাতৃজাতিয়ে যেন মন কৰে—আমাৰ আশা-ভৰষাৰ থল ভৱিষ্যত বংশধৰসকল বিজতৰীয়া মন, বিজতৰীয়া সাজপাৰ, কিছুমান বিজতৰীয়া হিন্দী কথাছবিৰ পৰিবেশত দিশহাৰা হৈ চিনাকি মাটিতে থাকি অচিনাকি হৈ নেযায়। যদি সেয়ে হয়, যোৱা ছবছৰে আমাৰ ৰাইজে বিশেষকৈ তৰুণ শক্তিয়ে যোৱাটো চৰকাৰৰ নানান নিৰ্যাতনৰ মাজেদি আন্দোলন কৰি অসমক নকৈ গঢ়াৰ দৃঢ় সংকল্প লৈ আজি আসনৰ যি বাঘজৰী হাতত লৈছে, তাৰ লগত সংগতিবিহীন হৈ যাব। অসমৰ জনসাধাৰণৰ সৰ্বাংগীন উন্নতিত অসমীয়া ভাষাৰ ডাঙৰ ভূমিকা আছে। আজিকালি অসমীয়া ভাষাৰ লিখিত আৰু কথিত ৰূপত বিশেষকৈ নতুন পুৰুষৰ ক্ষেত্ৰত এক অৰুচিপূৰ্ণ পৰিবেশ সৃষ্টি হৈছে। এই পৰিবেশত পৰি অসমীয়া ভাষাই বিকৃত ৰূপ ল'বলৈ আৰম্ভ কৰিছে। হাটে, বজাৰে, বিয়াই-সবাহে, ঘৰে-বাহিৰে, নতুন চামৰ ল'ৰা-ছোৱালীয়ে যি অসমীয়া ভাষা কয়, সেই অসমীয়া ভাষাই বিকৃত ৰূপ লৈছে। এই বিকৃত ৰূপত যদি চলি থাকিবলৈ দিয়া হয়, তেনেহ'লে ভাষা একেবাৰেই বিজতৰীয়া হৈ যাব। ইংৰাজী ভাষাতো এসময়ত এনে পৰিস্থিতিৰ উদ্ভৱ হৈছিল। কিন্তু ভাষাৰ প্ৰতি সচেতন জাতি হিচাপে ইংৰাজ জাতিয়ে বিভিন্ন শিক্ষানুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান আদিৰ যোগেদি এই বিকৃত ৰূপৰ অৱসান ঘটাই সচেতন প্ৰক্ৰিয়াৰ মাজেদি ভাষাৰ ক্ৰমবিকাশ কৰাইছিল। বৰ্তমান আমাৰ কথিত আৰু লিখিত ভাষাৰ যি বিপৰ্যয় হৈছে, সেই বিপৰ্যয়ৰ পৰা ভাষাক ৰক্ষা কৰিবৰ হ'লে—বিশ্ববিদ্যালয়, প্ৰকাশন পৰিষদ, শিক্ষা-বিভাগ, অসম সাহিত্য সভা আৰু অন্যান্য সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানে প্ৰণালীবদ্ধভাৱে আঁচনি লৈ এতিয়াৰপৰাই কাম হাতত ল'ব লাগে। নহ'লে গোৱানা, কৰানা, মাফ, আবে, চাংঘাটিক, আচ্ছা আদি শব্দৰ দৰে হাজাৰ-বিজাৰ বিজতৰীয়া শব্দই আমাৰ নিভাঁজ শব্দাৱলীক ভৱিষ্যতে কথিত ৰূপৰ কথাই নাই লিখিত ৰূপকো মৰিশালিলৈ নিব।

আমাৰ সামান্য জ্ঞান-বুদ্ধিৰে দুটামান পৰামৰ্শ এই ক্ষেত্ৰতে আগবঢ়াব খুজিছোঁ। সদাশয় বাইজ আৰু বাইজৰ জাগ্ৰত চেতনাই গঢ় দিয়া গণ পৰিষদ চৰকাৰে অনুগ্ৰহ কৰি মন কৰে যেন। পৰামৰ্শাৱলী কাৰ্যকৰীভাৱে ৰূপায়ণ কৰাত চৰাকাৰেই আগভাগ ল'ব লাগিব। ১. অসমৰ থলুৱালোকৰ ল'ৰা-ছোৱালী আৰু অসমতে পুৰুষানুক্ৰমে থাকি অসমীয়া ভাষা-সংস্কৃতিক নিজৰ বুলি গ্ৰহণ কৰা ভাৰতৰ অন্যান্য প্ৰান্তৰপৰা অহা লোকৰ ল'ৰা-ছোৱালীৰ কাৰণে অসমৰ সংস্কৃতিৰ লগতে ভাৰতীয় সংস্কৃতিৰ লগত ধেমালিৰ চলেৰে পৰিচয় হৈ অসমীয়া বৰ্ণমালা শিকিব পৰা অসমীয়া মাধ্যমৰ জাকতজিলিকা প্ৰাক্-প্ৰাথমিক বিদ্যালয় চহৰে-নগৰে, গাঁৱে-ভূঞে প্ৰতিষ্ঠা কৰিব লাগে। ইয়াৰ ঘৰ-দুৱাৰ, সা-সৰঞ্জাম যাতে অসমীয়া ফকৰাত থকাৰ দৰে— 'হাঁতীদাঁতৰ ৰুৱা, ৰ'দ পৰে পুৱা, দুহাল বাবলৈ তিনিটা লাগে....' ব্যৱস্থাৰ নহয়। শিক্ষক-শিক্ষয়িত্ৰী প্ৰকৃতভাৱে প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগিব। শিশু-মনোজগতৰ বিশেষজ্ঞ-শিক্ষাবিদৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্ণয় কৰিব লাগে। এনে বিদ্যালয়ত পঢ়াৰ ক্ষেত্ৰত ভাৰতৰ বিভিন্ন ঠাইত বদলি হৈ থাকি কাম কৰিব লগা হোৱা কেন্দ্ৰীয় চাকৰিয়ালৰ চিৰস্থায়ী অসমবাসী লোকৰ ল'ৰা-ছোৱালীহে ব্যতিক্ৰম হ'ব পাৰে। যিবিলাক জনজাতি অঞ্চলত জনজাতীয় ভাষা শিক্ষাদানৰ কাৰণে প্ৰাথমিক স্তৰলৈকে স্বীকৃত হৈছে, সেই ঠাইৰ শিশুসকলক সেই ভাষাৰ বৰ্ণমালাৰ লগত পৰিচয় কৰোৱাৰ লগতে অসমীয়া ভাষাৰ বৰ্ণমালাৰো পৰিচয় কৰাব লাগে। ২. প্ৰাথমিক বিদ্যালয়বিলাকৰ বৰ্তমান দুৰৱস্থাৰ অৱসান ঘটাই আকৰ্ষণীয় আৰু আদৰ্শনীয় কৰিব লাগে যাতে এইবিলাক, মিছনেৰী বিদ্যালয়বিলাকৰ ঘৰ-দুৱাৰৰপৰা আৰম্ভ কৰি শিক্ষা-দীক্ষা, নিয়মানুৱৰ্তিতা আদিৰ তুলনাত খেছি উন্নত নহ'লেও অন্ততঃ সমপৰ্যায়ৰ হয়। ৩. ভাষা-আইনৰ প্ৰয়োগৰ ক্ষেত্ৰত অসমৰ সৰ্বাংগীন উন্নতিৰ সংকল্প লোৱা গণ পৰিষদ চৰকাৰে সক্ৰিয় ব্যৱস্থা ল'ব বুলি শুনি সন্তোষ পাইছোঁ। এই সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰোঁতে চাব লাগিব যাতে (ক) কোনো স্বাৰ্থজনিত উচ্চপদস্থ আমোলাই অসমীয়া ভাষা চৰকাৰী, অৰ্ধচৰকাৰী আদি কাৰ্যালয়ত প্ৰয়োগ কৰোঁতে নানান অজুহাতত হেঙাৰ সৃষ্টি কৰিব নোৱাৰে। যদি হেঙাৰ সৃষ্টি কৰা ধৰা পৰে, তেন্তে তাৰবাবে শাস্তিমূলক ব্যৱস্থা থাকিব লাগে। (খ) মুদ্ৰা লিখন যন্ত্ৰসকলো কাৰ্যালয়ততে আৱশ্যকীয় বিধিমতে যোগান ধৰা আৰু অৰ্ধচৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়ক কিনিবলৈ বাধ্য কৰাব লাগে আৰু সেইমতে দ্ৰুত প্ৰশিক্ষণৰ ব্যৱস্থা হ'ব লাগে। (গ) অসম চৰকাৰৰ চাকৰি আৰু অৰ্ধচৰকাৰী কাৰ্যালয়ৰ চাকৰিও মুদ্ৰা লিখন যন্ত্ৰ ব্যৱহাৰ কৰা লোক নিয়োগ কৰোঁতে ইংৰাজীৰ উপৰিও অসমীয়া মুদ্ৰা লিখন যন্ত্ৰৰ ব্যৱহাৰৰ স্বীকৃত জ্ঞান থকা লোকহে নিয়োগ কৰিব লাগে। (ঘ) জিলা বা মহকুমাৰ প্ৰশাসনত অসমীয়া ভাষা লেখিব আৰু পঢ়িব নজনা কোনো বিষয়াকে নিযুক্তি দিব নেলাগে। (ঙ) চৰকাৰী, অৰ্ধচৰকাৰী আৰু অন্যান্য কাৰ্যালয়ৰ কৰ্মচাৰীসকলে অসমৰ অসমীয়া আৰু স্বীকৃত নিৰ্দিষ্ট ঠাইত সহযোগী চৰকাৰী ভাষা ব্যৱহাৰ কৰাটো নৈতিক আৰু জাতীয় কৰ্তব্য। (চ) আমাৰ শিক্ষিত সমাজে অসমীয়াতে দৰ্খাস্ত আদি লেখিলে ইংৰাজী নজনা বুলি কোনোবাই শংকা কৰিব বুলি নি নীচাত্মিকা ভাব পোষণ কৰে তাক জলাঞ্জলি দিব লাগিব। আৱশ্যকীয় স্থানত ইংৰাজী লেখা আৰু কোৱাৰ কাৰণে মনক অৱশ্যে সাজু ৰাখিব লাগে। আমি যিমানেই ইংৰাজী ভাষাপ্ৰেমী নহওঁ লাগে, মনত ৰাখিব লাগিব যে অসমৰ জনসংযোগৰ ভাষা অসমীয়াহে। (ছ) অসমীয়া মাধ্যমত পঢ়ি যোৱা অসমীয়া প্ৰাৰ্থীক অসম চৰকাৰৰ চাকৰি আৰু অৰ্থচৰকাৰী চাকৰিত সাক্ষাৎ বা লিখিত পৰীক্ষাত ইংৰাজীত উত্তৰ দিবলৈ বাধ্য কৰাব নেলাগিব। (জ) লোকসেৱা আয়োগৰ চাকৰিতো আঞ্চলিক ভাষাত উত্তৰ লেখা আৰু উত্তৰ দিয়া ব্যৱস্থা বাস্তৱক্ষেত্ৰত ৰূপায়িত হ'ব লাগিব। ইংৰাজীত উত্তৰ দিয়াত ঠেৰো-ঘেঁহো লগালেও কোনোবা উচ্চস্থান পোৱা প্ৰাৰ্থীৰ গুণগত জ্ঞানৰ অভাব নহ'বও পাৰে। আঞ্চলিক ভাষাই, বিষয়াৰ গুণগত জ্ঞান প্ৰকাশৰ সুবিধা দিয়ে। (ঝ) ভাষা আইন সঠিকভাৱে প্ৰয়োগ কৰা হৈছেনে নাই তাক চকু দিবৰ কাৰণে আৰু আৱশ্যক মতে পৰামৰ্শ আদি দিবৰ কাৰণে জিলাই প্ৰতি চৰকাৰী-বেচৰকাৰী সদস্যৰে একোখন অস্থায়ী অবৈতনিক তদাৰক-সমিতি পতা আৱশ্যক। বেচৰকাৰী সদস্যৰ ভিতৰত প্ৰত্যেক জিলা সাহিত্য পৰিষদৰ ফালৰপৰা একোজন প্ৰতিনিধি লোৱা বাঞ্ছনীয়।

অসমৰ মহাবিদ্যালয়সমূহত শিক্ষাৰ মাধ্যম অসমীয়া হোৱা ভালে কেইবছৰ হ'ল। সম্মান বিষয়লৈকে দুয়োখন বিশ্ববিদ্যালয়ে অসমীয়া মাধ্যমত লেখা-পঢ়াৰ ব্যৱস্থা কৰিলে। কিন্তু পৰিতাপৰ বিষয় যে, সেইমতে কিতাপ-পত্ৰ যেনেদৰে উলিয়াব লাগিছিল, তেনেদৰে উলিওৱা নহ'ল। যিবোৰ কিতাপ উলিওৱা হ'ল, সেইবোৰৰ বহুতৰে ভাষা দুৰ্বোধ্য হৈ থাকিল। এই কিতাপবোৰ

বৰ লৰালৰিকৈ উলিয়াব লগা হোৱাত বহুতো ক্ষেত্ৰত, বিষয়ত হাত থকা অথচ ভাষাত হাত নথকা লোককো পুথি ৰচনা কৰিবলৈ দিয়া হ'ল। ভুকুতে কল নপকে। প্ৰকৃত আঁচনি কৰি আগলৈ বিষয়ৰ বিশেষজ্ঞ আৰু ভাষাৰ ভাল জ্ঞান থকা লোকক পুথি প্ৰণয়নৰ দায়িত্ব দিব লাগে। নতুন শিক্ষানীতিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ে এই কথালৈ মন কৰে যেন। হঠাতে পৰিবৰ্তন আহে আৰু পৰিবৰ্তনৰ কাৰণে প্ৰস্তুতি নোহোৱাৰ বাবে আমাৰ আৱশ্যকীয় পুথি-পাঁজি নোলায়। ইয়াৰ বাবে আমাৰ উঠি অহা চামে স্কুলীয়া শিক্ষাৰ পৰা মহাবিদ্যালয়ৰ শিক্ষালৈকে পাঠ্যপুথিৰ ক্ষেত্ৰত বহু বছৰ ধৰি অসুবিধাৰ সন্মুখীন হৈ আহিছে। আঁচনি লৈ আগবঢ়া উচিত।

প্ৰযুক্তিবিদ্যা, চিকিৎসা আদি বিদ্যাৰ কিতাপ-পত্ৰ অসমীয়া ভাষাতে উলিয়াব পাৰিনে নোৱাৰি সেই সম্পৰ্কে চিন্তা-চৰ্চা কৰাৰ সময় দেৰিহে হৈছে। অসমীয়া ভাষাত প্ৰযুক্তিবিদ্যা, চিকিৎসা বিদ্যাৰ কিতাপ-পত্ৰ উলিওৱা সম্পৰ্কে বিশেষজ্ঞসকলে কি মত দিয়ে ক'ব নোৱাৰোঁ। আমি কিন্তু হিন্দী ভাষাত লেখা দুই-এখন চিকিৎসা বিদ্যাৰ কিতাপ দেখিছোঁ। বিশ্বৰ বিভিন্ন উন্নতিশীল দেশত, এইবিলাক বিষয়তো নিজৰ নিজৰ প্ৰচলিত ভাষাত কিতাপ আছে। বিদ্যাৰ্থীয়ে তেনেদেশত কাৰিকৰী আৰু অন্যান্য জ্ঞান আহৰণ কৰে নিজ নিজ ভাষাৰ যোগেদিহে—ইংৰাজী ভাষাৰ মাধ্যমত নহয়। সেই কাৰণেই বোধকৰোঁ তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ খনন কাৰ্যৰ বিভিন্ন বিষয়ত প্ৰথমতে অহা ৰাছিয়াৰ কাৰিকৰী লোকৰ প্ৰায়খিনিয়েই ইংৰাজী নেজানিছিল। তেওঁলোকৰ কথাবোৰ বুজাবৰ কাৰণে দোভাষী আছিল। ইংৰাজী নাজানিলে বা ভালকৈ প্ৰকাশ কৰিব নোৱাৰিলে আমাক যেনেকৈ নীচাত্মিকভাৱে খুলি খুলি খায়—তেওঁলোকৰ ক্ষেত্ৰত কিন্তু সেই ভাব ওচৰেই নেচাপে। এইটো ঠিক যে অসমীয়া ভাষাত একে ৰাতিতে চিকিৎসা-বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদি উলিয়াবলৈ আলাউদ্দিনৰ চাকিৰ যাদু নাই। কিন্তু মনৰপৰা নীচাত্মিক ভাব আঁতৰাই অসমীয়া ভাষাক সমৃদ্ধিশালী ভাষা হিচাপে গণ্য কৰি শব্দৰ ক্ষেত্ৰত উদাৰ আৰু বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰি এনে বিধাৰ কিতাপ-পত্ৰ উলিয়াবলৈ যত্ন কৰিলে ক্ষতি কি? এনে কিতাপৰ প্ৰচলনৰ ক্ষেত্ৰত গল্প-উপন্যাসৰ প্ৰচলনৰ দৃষ্টিভংগী ল'লে নচলিব। এটা জীৱন্ত জাতিৰ ভাষাক গতিশীল আৰু সমৃদ্ধিশালী কৰিবলৈ এন প্ৰচেষ্টা চলোৱা নিতান্তই আৱশ্যক। অসম চৰকাৰ আৰু অসমৰ বিশ্ববিদ্যালয় তিনিখনে এনে বিষয়ৰ বিশেষজ্ঞৰ সহায়ত প্ৰকৃত আঁচনিৰ যোগেদি চিন্তাৰ বাট মুকলি কৰিব বুলি আমি আশা কৰোঁ।

আমি ওপৰত যিবোৰ পৰামৰ্শ আগবঢ়ালোঁ, সেইবোৰৰ কাৰণে প্ৰচুৰ ধন আৰু মূল্যবান সময়ৰ আৱশ্যক হ'ব। ধন আহৰণ সম্পৰ্কে কেইটামান কথা উল্লেখ কৰিব খোজোঁ। অসম চাহ, খনিজ সম্পদ আৰু বনজ সম্পদৰে চহকী। ৭৫৬ খন চাহ বাগিছাৰ বছৰি উৎপাদিত চাহৰ মূল্য হ'ল চাৰিশ কোটি টকা। সকলো উৎসৰপৰা অসমৰ ৰাজহ হয় বছৰি প্ৰায় এশ কৌটি টকা। কি বিৰাট ব্যৱধান! অসমৰ মাটিত এটি কলি দুটি পাতে, চাহ শ্ৰমিকৰ কপালৰ ঘাম মাটিত পেলোৱা শ্ৰমৰ বিনিময়ত জকমকাই উঠে। হাজাৰ হাজাৰ কোটি টকা অসমৰ পৰা বাহিৰলৈ ওলাই গৈছে। অসম চৰকাৰে চাহৰ পৰা পায় বছৰি মুঠেই বিছ কোটি টকা। ওচৰৰে পশ্চিমবংগই বছৰি পায় বিয়াল্লিছ কোটি টকা। অসমৰ বাৰ্ষিক মাটিৰ খাজনাৰ পৰিমাণ হ'ল ৪.৫ কোটি টকা। অসমৰ যি কোনো এটা বৃহৎ কোম্পানীৰ চাহ বাগিছাৰ বাৰ্ষিক আয় অসমৰ সংগৃহীত খাজনাতকৈ বেছি। ৰাইজসকলে নিশ্চয় দেখিছে যে অসমৰ এনেবোৰ চাহ বাগিছাৰে চাহ শ্ৰমিকৰ উশাহ ল'ব নোৱৰা বাসগৃহবোৰ, আইনৰ পৰা হাত সৰা, বাগিছাৰ চাহ-শ্ৰমিকৰ ল'ৰা-ছোৱালীক পৰোক্ষভাৱে লেখা-পঢ়া কৰিবলৈ উদ্‌গনি নিদিয়া পঢ়াশালিকেইখন আৰু প্ৰায়েই গৰু-গাই শুই থকা শ্ৰমিকৰ ক্লাবকেইটা। অসমৰ বাহিৰৰ, চাহ শিল্পৰ দেশী-বিদেশী পুঁজিপতিসকলে প্ৰত্যক্ষভাৱে অসমৰ উন্নতিৰ কাৰণে একো কৰা নাই বুলি ক'লে ভুল কোৱা নহ'ব। যদি তেওঁলোকে কিবা কৰিছে, অসমৰ পৰা চুচি নিয়া ধনৰে অসমৰ বাহিৰৰ ৰাজ্যত কৰিছে।

সেইদৰে অসমৰ বুকু উদং কৰি দিয়া তেলে কোটি কোটি টকা লাভ দিয়ে। তেল অসমৰ; কিন্তু অসমৰ বিশেষ উন্নতিৰ ক্ষেত্ৰত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, অইল ইণ্ডিয়াকে ধৰি বিভিন্ন তেল উদ্যোগে একো উল্লেখযোগ্য ৰৰঙণি আগবঢ়োৱা নাই। অসমৰ সংৰক্ষিত বনাঞ্চলকে ধৰি ৪৫,১৫০ বৰ্গ কিলোমিটাৰ বনাঞ্চল কাটি খান্তাং কৰি কাঠ ব্যৱসায়ী অৰু প্লাইউড কাৰখানাই কোটি কোটি টকা অসমৰ বাহিৰলৈ লৈ যায়। এই ক্ষেত্ৰত প্লাইউডৰ পৰা অসমৰ বাহিৰলৈ বছৰি যায় ছশ কোটি

টকা। অসমৰ পৰা অসমৰ বাহিৰৰ পুঁজিপতিয়ে বছৰি তিনি হেজাৰ কোটি টকা লুটি নিয়ে। কেন্দ্ৰীয় চৰকাৰেও বছৰি অসমৰ পৰা বিভিন্ন শিতানত ৰাজহ নিয়ে তিনি হেজাৰ কোটি টকা। অথচ অসমৰ গাঁৱে-ভুঞে থকা সৰহভাগ প্ৰাথমিক বিদ্যালয়ৰ বেৰ-ছাল নাই, টকাৰ অভাৱত সাহিত্য সভাই বিশ্বকোষ উলিয়াব নোৱাৰে, সাহিত্যৰথী বেজবৰুৱাৰ জন্মস্থান আহতগুৰিত অসমৰ জনজাতীয় কলা-কৃষ্টি অনুশীলন গৱেষণাৰ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ প্ৰস্তাৱতে ৰয়, ৰৰদোৱাৰ গৱেষণা-কেন্দ্ৰও আগবঢ়া নাই, চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চৌহদত পণ্ডিত-প্ৰৱৰ স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈদেৱৰ দানেৰে সাজিবলৈ লোৱা গৱেষণা-কেন্দ্ৰটিও আধা সজা হৈ থাকে।

সাহিত্য-সভাৰ সভাপতিৰ অভিভাষণত ওপৰত উল্লেখ কৰা কথাখিনি আপোনালোকৰ অপ্ৰাসংগিক যেন লাগিলেও এই কাৰণেই কৈছোঁ যে, অসম স্বাধীনদেশৰ অংগৰাজ্য হ'লেও ঔপনিবেশিক দৃষ্টিভংগীৰে যদি শোষণ আৰম্ভ কৰা হয়, তাৰ পৰিণাম কি হয়। অসমৰ বৰ্তমান নতুন চৰকাৰে এই সম্পদ বিলাকৰ পৰা আহৰণ কৰা পুঁজিপতিৰ লাভৰ মোটা অংশ, অসমৰ সৰ্বাংগীন উন্নতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত সুন্দৰ বুজাবুজিলৈ আহি ল'ৰই লাগিব। ইয়াত যদি অসমৰ নতুন দৃষ্টিভংগীৰ চৰকাৰ কৃতকাৰ্য হয়, তেনেহ'লে আমাৰ গাঁৱৰ ল'ৰাই আদৰ্শ পঢ়াশালিৰ পৰা আৰম্ভ কৰি গাঁৱে গাঁৱে প্ৰগতিৰ উজ্জ্বল বৰ্ত্তি জ্বলাই যাব পাৰিব।

সংস্কৃতিৰ বিকাশৰ কথা কওঁতেই হৃদয় বিদাৰক কথা এটা চেৰেংকৈ মনত পৰিল। যোৱা নিৰ্বাচনলৈ কিছুদিন বাকী থাকোঁতে, তেজে ধোৱা কুখ্যাত নিৰ্বাচনত নিৰ্বাচিত হোৱা অসমৰ তদাৰকী মুখ্যমন্ত্ৰীয়ে পূৰ্বাঞ্চলৰ সংস্কৃতিৰ বিকাশৰ কাৰণে পশ্চিমবংগৰ শান্তি নিকেতনত হ'ব লগা সাংস্কৃতিক কেন্দ্ৰৰ কাৰণে এই কোটি টকা অসমৰ ৰাজভঁড়ালৰ পৰা দিবলৈ সিদ্ধান্ত কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সংস্কৃতিৰ সংৰক্ষণ, গৱেষণা আৰু উন্নয়নৰ চিন্তা হ'ব শান্তি নিকেতনত। উত্তৰ-পূৰ্বাঞ্চলৰ কোনোখন ৰাজ্যতে ঠাই বিচাৰি তেতিয়াৰ তদাৰকী মুখ্যমন্ত্ৰীজনে নেপালে। অসমৰ উন্নতি চিন্তা কৰাৰ কি অদ্ভুত চানেকী। অকল জানো এইয়ে। ৰাইজৰ প্ৰতিকূল চৰকাৰে যোৱা পাঁচ-ছবছৰে অসমৰ জাতীয় অনুষ্ঠান সাহিত্য সভাৰ বাৰ্ষিক অনুদান বন্ধ কৰি ৰাখি বাৰ্ষিক সম্মিলন পতাত বাধা দিবলৈ নি নিকৃষ্ট উপায় অৱলম্বন কৰিছিল সেইকথা আপোনালোকৰ বিদিত। সেইবোৰ উল্লেখ কৰি মোৰ লেখনি কলংকিত কৰিব খোজা নাই, সাহিত্য সভাৰ এই পৱিত্ৰ স্থান অপৱিত্ৰ কৰিব খোজা নাই। বাধা জানো দিব পাৰিলে? বাধা নেওচি অধিবেশনবিলাক পূৰ্ণোদ্যমে নহ'ল জানো? অসমৰ জাগ্ৰত জনতাৰ দুৰ্বাৰ শক্তি লুইতৰ দৰে। সুখৰ বিষয় যে অসমৰ গণ পৰিষদ চৰকাৰে শান্তি নিকেতনলৈ আগবঢ়োৱা এক কোটিৰ অনুদানো বন্ধ কৰিছে আৰু সাহিত্য সভাৰ বন্ধ কৰি থোৱা বাৰ্ষিক চৰকাৰী মঞ্জুৰীও দিয়াৰ সিদ্ধান্ত কৰিছে। ইয়াৰ বাবে তৰুণ শক্তিৰ নতুন চৰকাৰক আন্তৰিক ধন্যবাদ জনাই ক'ব খুজিছোঁ যে, জাতীয় অৰাজনৈতিক সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান সাহিত্য-সভালৈ দিয়া অনুদান বৃদ্ধি কৰি বাস্তৱ আঁচনিৰে অসম সাহিত্য সভাক কামত আগবাঢ়ি যাবলৈ নতুন গণতান্ত্ৰিক চৰকাৰে উদ্‌গনি দিব। অসম সাহিত্য সভাৰ কৰিবলগীয়া কাম বহুতো আছে। শিশুৰ উপযোগী বিশ্বকোষৰ এটা খণ্ডহে ওলাইছে। সুস্থ জাতি এটাৰ উঠি অহা পুৰুষৰ জ্ঞানৰ চেতনা জাগ্ৰত কৰি ৰাখিবলৈ এখন কিয়, বিভিন্ন প্ৰকাৰৰ বিশ্বকোষ নেলাগিব জানো? বিশ্বকোষৰ ক্ষেত্ৰত প্ৰকাশন পৰিষদৰ কামো মন্থৰ গতিত চলিছে। আমি আশা কৰিছো যে, প্ৰকাশন পৰিষদৰ বিশ্বকোষৰ ওলাবলগীয়া খণ্ডকেইটা অতি সোনকালে প্ৰকাশ কৰিবলৈ খৰতকীয়া ব্যৱস্থা প্ৰকাশন পৰিষদে ল'ব। এইখিনিতে ড° কনকচন্দ্ৰ মহন্তক ধন্যবাদ জনাইছোঁ, কাৰণ তেখেতে ব্যক্তিগত প্ৰচেষ্টাতেই বিশ্বকোষ এখনৰ কেইবাটাও খণ্ড প্ৰকাশ কৰিছে।

মহাপুৰুষ শংকৰদেৱ, আজান পীৰ আদিয়ে গঢ়ি যোৱা অসমীয়া সমাজখনে ঐক্যৰ মূলমন্ত্ৰ লৈয়েই আগবাঢ়ি আহি আছে। বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰে চহকী হোৱা, জাতি, ধৰ্ম নিৰ্বিশেষে গঢ়ি উঠা অসমীয়া সমাজখনতক যোৱা কেইবছৰমান ধৰি ৰাজনৈতিক স্বাৰ্থপৰ বহুতো লোকে আৰু অসম বিৰোধী মহলে ছেদেলি-ভেদেলি কৰি পেলাবলৈ যত্নৰ ত্ৰুটী নকৰিলে। জনতাৰ চেতনাৰ ইতিহাসে ইয়াৰ প্ৰতিবাদ কৰিলে। প্ৰতিবাদৰ ধ্বনি ৰাজপথেই কেৱল শুনা নাই, আপোনালোকৰ অন্তৰেও সেইকথা মৰ্মে মৰ্মে উপলব্ধি কৰিছে। ইতিহাসে চিৰদিন ক'ব—অসমৰ পৰম্পৰাই, অসমৰ জলবায়ুৱে বিভেদৰ খাল-দোং পুতি সংহতিৰ গৃঢ় ভেটিহে প্ৰতিষ্ঠা কৰে।

বেহা-বেপাৰৰ কাৰণেই হওক বা অন্য কাৰণেই হওক, অসমৰ যিসকল লোক দেশৰ আইন অনুসৰি বসবাস কৰি পুৰুষক্ৰমে আছে তেওঁলোকে অসমৰ ভাষা-সংস্কৃতিৰ ঘাই সুঁতিৰ লগত মিলি যাবলৈ যত্নৰ ত্ৰুটী যাতে নকৰে। আমাৰ বিশেষ অনুৰোধ তেওঁলোকৰ কোনেও যেন উচ্চাম্বিকা ভাবেৰে যুগ যুগ ধৰি ইয়াত বসবাস কৰা থলুৱা লোকৰ প্ৰতি দৃষ্টি নিদিয়ে। এই ক্ষেত্ৰত মই নিজৰ মন্তব্যতকৈ মহামানৱ মহাত্মা গান্ধীৰ দুটামান বাক্য উদ্ধৃত কৰি দিলোঁ—"মোৰ মতে ভাৰতীয় নাগৰিক বিহাৰত বিহাৰীৰ দৰে স্বীকৃতি পাব। তেওঁ কেতিয়াও বিহাৰক শোষণ কৰাৰ বা বিহাৰত অচিনাকিৰ দৰে আচাৰ-আচৰণ কৰাৰ অপৰাধ কৰিব নেলাগিব। মই যদি বংগদেশলৈ মোৰ গুজৰাটী চাল-চলন লৈ আহোঁ আৰু নিজকে সেই ৰাজ্যত জোৰেৰে জাপি দিওঁ তেতিয়া বঙালীসকলে মোক বাহিৰ কৰি দিয়াটোকে বাঞ্ছা কৰিম। তেতিয়া মই বঙালীসকলৰ বিৰুদ্ধে ভাৰতীয় বুলি নিজৰ অধিকাৰ দাবী কৰিব নোৱাৰিম।" গান্ধীজীৰ এই আষাৰ অমৰ বাণী অন্তৰত লৈ অসমত অসমৰ বাহিৰৰ পৰা আহি নিগাজীকৈ আইনসম্মতভাৱে থকা লোকসকলে বিদ্যালয়ত ল'ৰা-ছোৱালীক অসমীয়া ভাষা শিকাওক, অসমীয়া সংস্কৃতিৰ আদৰ কৰক, অসমীয়া সমাজৰ অংগ হৈ পৰক। চৰকাৰেও দ্বিধাহীনভাৱে অনা-অসমীয়া বিদ্যালয়ত অসমীয়া ভাষা শিকা বাধ্যতামূলক কৰক। প্ৰতিবাদৰ সুৰে যেন অসমৰ বা-বতাহ কলুষিত নকৰে।

ঊনবিংশ শতিকাত ৰাজস্থানৰ পৰা অসমত বেহা-বেপাৰ কৰিবলৈ অহা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰপিতামহ নবৰংগ আগৰৱালা অসমলৈ ভাৰতৰ অন্য ঠাইৰপৰা অহা লোকসকলৰ আদৰ্শ পুৰুষ হওক। নবৰংগৰাম আগৰৱালাৰ অসমীয়া সমাজৰ প্ৰতি থকা দৃষ্টিভংগীৰ কাৰণেই পুত্ৰ হৰিবিলাস আগৰৱালাই প্ৰথম অসমীয়া ছপা কীৰ্তন, দশম, নামঘোষা প্ৰকাশ কৰিবলৈ অনুপ্ৰেৰণা পাইছিল। অসমীয়া সমাজ-জীৱনৰ লগত মিলি যোৱাৰ কাৰণেই এই পৰিয়ালৰ চন্দ্ৰকুমাৰ আগৰৱালা, পৰমানন্দ আগৰৱালা, আনন্দচন্দ্ৰ আগৰৱালাই অসমীয়া ভাষা-সাহিত্যৰ সেৱা কৰিব পাৰিছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা অসমীয়া সাহিত্য-সংস্কৃতি আৰু জাতীয় চেতনাৰ বাহক হৈ জনগণৰ মনত সোমাই পৰি বিপ্লৱী মনীষাৰ প্ৰতীক হ'ব পাৰিছিল। ইয়াতোকৈ আগুৱাই গ'লে, অসমত ছশবছৰ ৰাজত্ব কৰি বৰ অসম গঢ়া শক্তিশালী আহোমসকল আৰু পু�ৰণিকালত সময়ে সময়ে অসমত সোমোৱা বিভিন্ন জনগোষ্ঠীৰ কথাও উল্লেখ কৰিব পাৰি।

ভাৰতৰ উল্লেখযোগ্য অংগৰাজ্য অসম ক্ষুদ্ৰ ভাৰত। অনৈক্যৰ মাজত ঐক্যৰ মহিমা অসমে যুগ-যুগান্তৰে প্ৰচাৰ কৰিছে। এই অসম ভূমিত বিভিন্ন ঠাইৰ লোক নিজৰ জীৱিকা বিচাৰি সোমাইছেহি। অতীতৰ ক্ষমতাত থকা ৰাজনৈতিক নেতাসকলৰ ভুলৰ কাৰণে অসমলৈ বাধাহীনভাৱে বিদেশীও আহিল। যাৰ ফলত তাৰ প্ৰতিবাদ কৰিবলৈ যাওঁতে অসম ইতিহাসৰ কেইখিলামান পাত অসমৰ বহুজন ডেকা-গাভৰুৰ বুকুৰ তেজেৰে লেখিব লগা হ'ল। সেই অধ্যায়ৰ আৰু আলোচনা নকৰাকৈ ক'ব খুজিছোঁ যে, বিদেশীৰ সোঁত বন্ধ কৰিবই লাগিব। নহ'লে অসমৰ খিলঞ্জীয়া বিভিন্ন ভাষা-ভাষী, বিভিন্ন ধৰ্মৰ লোকৰ ভৱিষ্যত সাহিত্য-সংস্কৃতিৰ কথাই নাই—অৱস্থিতিৰ বিষয়েও চিন্তা কৰিব লগা হ'ব। চৰ অঞ্চলতেই হওক বা অন্য ঠাইতে হওক, যিসকলে ইতিমধ্যে অসম চুক্তিমতে থকাৰ অধিকাৰ পাইছে বা পাব, সেইসকলে কিন্তু সমন্বয়ৰ ক্ষেত্ৰ অসমত, অসমৰ জাতি গঠনৰ ঘাই সুঁতিত মিলি গৈহে ভাৰতীয় হ'ব পাৰিব। তেওঁলোকে নিজে লৈ অহা ভাষা-সংস্কৃতি আদৰ কৰিলে অসমৰ খিলঞ্জীয়া ৰাইজ উচপ খাই নুঠে; কিন্তু সেইবুলি অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিক নেওচি কোনোবাই যদি তেনে আদৰ কৰিবলৈ বিচাৰে, তাৰ অহিংস প্ৰতিবাদ কৰিব অসমৰ মানুহে জানে। ৰাজনৈতিক নেতাৰ ভুলৰ কাৰণেই হওক বা আমাৰ উদাৰতাৰ কাৰণেই হওক, অসমৰ খিলঞ্জীয়া মানুহে ভাৰতৰ বাহিৰৰ লোকসকলক সামৰি ল'লে। দেশ বিভাজনৰ সময়ৰ বহুতো দুৰ্ভগীয়া লোকৰ প্ৰধান আশ্ৰয়স্থল হ'ল অসমেই। সি যি কি নহওক, আমাৰ চিৰদিনীয়া ভাষা-সাহিত্য-সংস্কৃতিক আলহী কৰি তেওঁলোকৰ ভাষা সংস্কৃতিক সমন্বয়ৰ চোতাল নগচোৱাকৈ ৰৱঘৰত ৰৱপীৰা পাৰি বহুৰাত আমিও নাই—আমাৰ দৰে অসমক মনে-প্ৰাণে-ভালপোৱা অসমবাসীও নাই। সেয়েহে ক'ব খুজিছোঁ, ভৱিষ্যত অসমৰ ভাষা-সংস্কৃতি, আৰ্থ-সামাজিক ব্যৱস্থা সুদৃঢ় কৰি ৰখাৰ কাৰণে অসমক সাংবিধানিক ৰক্ষাবেক্ষণ দিয়া নিতান্ত উচিত। অসম-চুক্তি ৰূপায়ণ কৰি যাওঁতে অসমৰ গণ পৰিষদ চৰকাৰে নিজৰ বাস্তৱ শিকনিৰ মাজেদিয়েই এই কথাত বিশেষ গুৰুত্ব দিব বুলি আশা কৰিলোঁ। নহ'লে ৰাজনৈতিক স্বাৰ্থৰ কাৰণে অসমৰ বৃহৎ স্বাৰ্থৰ বিপক্ষে মুৰ দাঙি উঠা অপচুতা অসুৰসকলৰ পৰা অসমবাসীয়ে কোনোদিন শান্তি নেপাব।

অসমৰ ৰাজনীতি, অৰ্থনীতি, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত অসমৰ চাহ শ্ৰমিকে বিশেষ অংশগ্ৰহণ কৰিছে। আজি অসমৰ বিভিন্ন চাহ বাগিচাত সিচৰতি হৈ থকা অসমৰ প্ৰায় চল্লিছ লাখ চাহ শ্ৰমিকৰ পূৰ্বপুৰুষসকল কি কৰুণ পৰিস্থিতিৰ মাজেদি আহি অসম সোমাইছিলহি, সেইকথা আপোনালোকৰ অবিদিত নহয়। চাহ শ্ৰমিকসকলে পুৰুষানুক্ৰমে আমাৰ গাঁওবিলাকৰ ওচৰৰে চাহ বাগিচাত ৰ'দ-বৰষুণ মূৰ পাতি লৈ তেজক পানী হাড়ক মাটি কৰি পুঁজিপতিসকলৰ শোষণ যন্ত্ৰৰ মাজেদি সৰকি জীৱিকা উপাৰ্জন কৰিছে। তথাপি তেওঁলোকে অসমৰ জীপাল মাটিত মাদলৰ ছেৱে ছেৱে কৃষ্ণচূড়াৰ তলত, সৰু সৰু থকা ঘৰৰ চোতালত নিজৰ সংস্কৃতিৰো ৰূপ দিলে আৰু অসমৰ থলুৱা সংস্কৃতিও আঁকোৱালি ল'বলৈ আগবাঢ়ি আহিল। অসমীয়া সমাজৰ সংস্কৃতিৰ প্ৰভাৱলৈ অহা চাহ শ্ৰমিকৰ ডেকা-গাভৰুৰ মুখত বিহুগীত ওলায়, কীৰ্তনৰ পদ আৰু ৰবগীতো ওলায়। অকল ঝুমুৰৰ মাদলেই নেবাজে, ঢোলো বাজে। ঠিক সেইদৰে, চাহ বাগিচাৰ ওচৰতে থকা আমাৰ গাঁৱৰ ডেকা-গাভৰুৱেও ঝুমুৰ গীত গায়। কোনোবা বাগিচাত চাহ শ্ৰমিকে ভাওনা কৰে। সংস্কৃতিৰ সমন্বয়ৰ কি অপূৰ্ব চানেকি। তথাপিও ক'ব লাগিব—চাহ শ্ৰমিকসকলক, অকল নিৰ্বাচনৰ ভোটৰ কাৰণে তাহানি কালৰপৰা সৌ সিদিনালৈকে হাত কৰিবলৈ বহুকাল ক্ষমতাত অধিষ্ঠিত ৰাজনৈতিক দলে সৎ আৰু অসৎ উপায়েৰে যি ধৰণেৰে তৎপৰ হ'ল, তেওঁলোকক সমাজ আৰু সাংস্কৃতিক জীৱনৰ ঘাইসুঁতিলৈ আগবঢ়াই দি শিক্ষাদীক্ষাত উন্নতি কৰাবলৈ দ্ৰুত আঁচনি লৈ তৎপৰ নহ'ল। নিৰক্ষৰতা, অন্ধবিশ্বাস আদি অক্টোপাচৰ কবলৰপৰা তেওঁলোক আজিও মুক্ত হোৱা নাই। সুখৰ বিষয়, ইমান প্ৰতিকূল পৰিবেশতো চাহ শ্ৰমিকসকলৰ মাজৰপৰা অসমীয়া ভাষা-সাহিত্যৰ সেৱা কৰা লোক, অধিবক্তা, শিক্ষক, শিল্পী, বিধায়ক, মন্ত্ৰী ইত্যাদি ওলাইছে। অসম সাহিত্য সভাই এতিয়াও অৱহেলিত হৈ থকা এই লোকসকলৰ সামাজিক, সাংস্কৃতিক জীৱনৰ কেইখনমান পুথি চাহ শ্ৰমিকসকলৰ মাজৰপৰা ওলাই অহা সাহিত্যিকসকলৰ দ্বাৰা লেখাই প্ৰকাশ কৰিছে। চাহ শ্ৰমিকসকলৰ মাজত সোমাই পৰি তেওঁলোকক বিদ্যা-বুদ্ধিৰে আগুৱাই নি তেওঁলোকৰ মাজত প্ৰচলিত ঝুমুৰ গীত, কৰম গীত আদি উদ্ধাৰ কৰি সামাজিক আৰু সাংস্কৃতিক দিশত কাম কৰা নিস্বাৰ্থ কৰ্মী সাহিত্য সভাৰদৰে জাতীয় অনুষ্ঠানৰ মাজৰপৰা ওলাব লাগিব। দুই-একে প্ৰচেষ্টা অৱশ্যে চলাইছে। কোনো কোনো চাহ বাগিচাত সাহিত্য সভাৰ শাখাও স্থাপন হৈছে। এয়ে যথেষ্ট নহয়। মনীষী টলষ্টয়ে ক'ৱৰদৰে আমাক আৰু পোহৰ লাগে?

আজান পীৰ আৰু অন্যান্য পীৰসকল বাগদাদৰ পৰা তাহানি কালতে আহিছিল। আৰৱৰ মানুহ—গীত-মাত ৰচনা কৰিছিল অসমীয়াত। চাপৰি আহিল, বৈষ্ণৱ নাম-কীৰ্তনৰ আহিত। লোকগীত-মাতৰ অপূৰ্ব চানেকি জিকিব, নাম-কীৰ্তনে হাতত ধৰাধৰিকৈ খোজতে খোজ মিলালে অতীতৰেপৰা সমন্বয়ৰ সাৰপানীৰে ওপচাই থোৱা অসমৰ গণ-সংস্কৃতিৰ পথাৰত। অকল জানো এয়ে? ঈদ, বিহু, ভাওনাই হাতত ধৰাধৰিকৈ অসমৰ গাঁৱৰ বাটত খোজ দিলে। নহ'লেনো অসমৰ কোনো কোনো ঠাইত, ৰাস-ভাওনাতে কৃষ্ণ আৰু গোপীৰ ভাওত মুছলমান ল'ৰা-ছোৱালী ওলাইনে? সৰস্বতী পূজা, ফাতেহা-দোৱাজ্-ই-দাহম্, ঈদ উৎসৱ একেলগে পতা অসমৰ থলুৱা হিন্দু-মুছলমানৰ মাজত ক'ত ধাৰ্মিক সংখ্যালঘু-সংখ্যাগুৰুৰ প্ৰশ্ন আছে? এইবোৰ প্ৰশ্ন জনসাধাৰণৰ নহয়, ৰাজ নীতিৰ বোকাপানী খচকি ফুৰা লোকৰহে।

তাহানিৰ আহোম স্বৰ্গদেউসকলৰ দিনতে অহা মণিপুৰী লোক আৰু শিখ-ধৰ্ম লোকসকলে, অসমীয়া ভাষাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলৰ তাহানিৰ কৰ্মভূমি অসমতে বিভিন্ন সময়ত অহা অন্যান্য জনগোষ্ঠীৰ লগতে অসমৰ তথা ভাৰতৰ অস্তিত্ব আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ কাৰণে দৃঢ়তাৰে মাত মাতিছে। বংগভাষী অসমীয়া সমাজৰ মাজৰ পৰাও অসমীয়া ভাষাত সাহিত্য সেৱা কৰা লোক দুই-চাৰিজন ওলাইছে। ই অতি আনন্দৰ কথা। বংগভাষী অসমীয়া সমাজে নিশ্চয় জানে—অসমীয়া মানুহৰ পঢ়ুৱৈ সমাজৰ বহুতেই অসমীয়া কিতাপ পঢ়াৰ লগতে বঙালী ভাষাৰ বংকিমচন্দ্ৰ, শৰৎচন্দ্ৰ, তাৰাশংকৰ, মাণিক বন্দোপাধ্যায়, আশা পূৰ্ণা দেৱী, বিভূতিভূষণ, বিষ্ণু দে, শংকুমহাৰাজ আদিৰ কিতাপ পঢ়ে। তাহানিতো আমাৰ পিতৃ-মাতৃৰ বয়সীয়া কিছু শিক্ষাৰ পোহৰ পোৱা, চহৰে নগৰে গাঁৱে ভূঞে থকা পঢ়ুৱৈ সমাজৰ মনৰ খোৰাক যোগোৱা পুথিৰ ভিতৰত বংকিমচন্দ্ৰ আৰু শৰৎচন্দ্ৰৰ উপান্যাসসমূহহে আছিল। অৱশ্যে ইয়াৰ ঐতিহাসিক কাৰণো নোহোৱা নহয়।

অসমত যুগ যুগ ধৰি বাস কৰা বংগভাষী অসমীয়া সমাজৰ প্ৰতি আমাৰ নিবেদন, তেওঁলোকেও যেন ৰামকৃষ্ণ পৰমহংস, বিবেকানন্দ, অৰবিন্দৰ পুথি পঢ়াৰ লগে লগে শংকৰদেৱ, মাধৱদেৱ আদিৰ পুথি পঢ়ে। বিভূতিভূষণ, তাৰাশংকৰ, মাণিক বন্দোপাধ্যায়, বুদ্ধদেৱ বসু, বিষ্ণু দে আদিৰ লেখনী পঢ়াৰ লগতে বেজবৰুৱা, গোহাঞিবৰুৱা, ৰজনীকান্ত বৰদলৈ, বীণা বৰুৱা, বীৰেন্দ্ৰকুমাৰ ভট্টাচার্য্য, চৈয়দ আব্দুল মালিক, ভবেন শইকীয়া, হেমবৰুৱা, নৱকান্ত বৰুৱা, হীৰেন ভট্টাচার্য আদিৰ লেখনী পঢ়ক। পূজা-মণ্ডপত উৎসাহ-উদ্দীপনাৰে গোট খোৱাৰ দৰে নিচেই ওচৰৰ নাম ঘৰটিত বা অন্য ঠাইত পতা গুৰুজনাৰ জন্মোৎসৱতো একেই মনলৈ ভূমুকি মাৰক। বিহুমেলা, ঈদ উৎসৱ আদিত পতা সংস্কৃতক অনুষ্ঠানবিলাকলৈ যোৱাই নহয়, সক্ৰিয়তাৰে সহযোগ কৰক। এইবিলাকেই বাস্তৱৰ সংহতিৰ সেতু। অবুজন ছাগলী দুটাৰ মাজৰ সাঁকোডাল আমাৰ মনৰপৰা মোচ খাই যাওঁক।

অসম বাৰে বৰণীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ বুলি আমি বহুবাৰ দোহাৰিছোঁ। গতিকে এনে অসমৰ ভাষা, সাহিত্য, সংস্কৃতিৰ প্ৰণালীবদ্ধভাৱে লেখা এখন বুৰঞ্জী লাগে। আমাৰ বোধেৰে এই বুৰঞ্জী তিনিটা খণ্ডত হোৱা উচিত। প্ৰথম খণ্ডত, অসমত তাহানি কালৰপৰা বসবাস কৰি অহা জনজাতি আৰু জনগোষ্ঠীসমূহৰ বিভিন্ন কথিত আৰু লিখিত ভাষাৰ উৎপত্তি, বিকাশ, বিভিন্ন স্তৰ, অসমীয়া ভাষাৰ বিকাশ আৰু ভাষালৈ বিভিন্ন জনগোষ্ঠীয়ে দিয়া অৱদান, আৰ্যমূলীয় ভাষা আৰু বিভিন্ন বিদেশী ভাষাৰ অৱদান সম্পৰ্কে বিস্তৃত অধ্যয়নমূলক আলোচনা থকা উচিত। দ্বিতীয় খণ্ডত অসমীয়া সাহিত্যৰ আদি স্তৰৰপৰা এতিয়ালৈকে আলোচনা আৰু লগতে অসমৰ জনজাতিসমূহৰ ভাষাত যদি কিবা সাহিত্য সৃষ্টি হৈছে, তাৰো আলোচনা থাকিব লাগে। তৃতীয় খণ্ডত অসমৰ বিভিন্ন জনজাত-পূব আৰু পশ্চিমৰপৰা প্ৰবজিত হৈ অসমত থিতাপিকৈ বসবাস কৰা জনগোষ্ঠীসমূহৰ সংস্কৃতি, অসমীয়া সংস্কৃতিৰ বিকাশ আৰু ইয়াৰ ওপৰত থলুৱা আৰু দেশী-বিদেশী সংস্কৃতিৰ প্ৰভাৱ সম্পৰ্কে আলোচনা থাকিব। ভাষা, সাহিত্য, সংস্কৃতিৰ পুথি ৰচনাৰ আঁচনি দিব পৰা ক্ষেত্ৰত মোৰ জ্ঞান শূন্য ঘৰত। আভাসহে দিছোঁ। অসমৰ বিশ্ববিদ্যালয় দুখন আৰু তাৰ সীমাৰ বাহিৰৰো ভাষা, সাহিত্য, সংস্কৃতিৰ গভীৰ জ্ঞান থকা নিৰ্বাচিত পণ্ডিত-মণ্ডলীৰ সম্পাদনাত বিভিন্ন বিষয়ত ব্যুৎপত্তি থকা লেখকসকলৰ দ্বাৰা এই কাম সমাধা কৰিব লাগিব। এইখিনিতে উল্লেখযোগ্য যে, অসমৰ থলুৱা গীত-মাতসমূহৰ ৰূপৰেখাৰ সংৰক্ষণৰ কাৰণে এটা সু-সংগৰদ্ধ প্ৰচেষ্টা লাগে। নহ'লে আমাৰ বহুতো থলুৱা গীত-মাতৰ বিশুদ্ধ ৰূপ পোৱাটো ভৱিষ্যতে জটিল হৈ পৰিব। ইতিমধ্যে কিছুমান গীত-মাত গাঁৱৰ নিভৃত কোণত অজান শিল্পীৰ মৃত্যুৰে কণ্ঠতে হেৰুৱাই পেলালে। আজিকালি কেছেটৰ ব্যৱস্থা হৈছে যেতিয়া ভিডিঅ' কেছেট পৰ্যন্ত কৰিবলৈ আঁচনি ল'ব লাগে। অসমীয়া জাতিৰ অতীতৰ সাংস্কৃতিক ৰূপটোক ধৰি ৰাখি সংৰক্ষণ কৰিবলৈ আমাক এটি সুব্যৱস্থা আৰ্কিভেল লাইব্ৰেৰী লাগিবই।

কাম জটিল, সময়ো লাগিব, প্ৰচুৰ অৰ্থৰো আৱশ্যক। সাহিত্য সভাৰ সামান্য পুঁজিৰে এই কাম নহ'ব। আঁচনি হাতত লৈ এই মূল্যবান কামৰ কাৰণে অসমৰ নতুন চৰকাৰ আৰু বিশ্ববিদ্যালয় দুখনৰ কাষ চাপিলে নিশ্চয় আৰ্থিক সাহায্য পোৱা যাব বুলি আশা কৰিব পাৰি।

আজি আমাৰ একালৰ আদৰ্শৰ ভাৰতত অৰ্থনৈতিকতাই খোপনি পুতিলেহি। আজি নতুন শক্তিৰ বহুতেই বিভ্ৰান্ত। যৌনগন্ধী, সস্তীয়া সাহিত্য, মনক সহজে বিপথে নিব পৰা নগ্ন বাস্তৱৰ ওপৰত ভিত্তি কৰা কথাছবি, দেহক ৰাজহুৱাভাৱে প্ৰদৰ্শন কৰিব পৰা অতি আধুনিকতাৰ বোল লগা সাজপাৰ, নাৰীৰ প্ৰায় উলংগ দেহাৰ বিজ্ঞাপন, বাটে-পথে অশ্লীল মাত-কথাৰ চিঞৰ-বাখৰ আদিৰে আমাৰ দেশ ভৰি পৰিল। বিলাসী আদৰ্শভ্ৰষ্ট জীৱনে ভাৰতৰ তৰুণ শক্তিক হাত বাউল দি মাতিছে। অসমৰ তৰুণ শক্তিকো এই আহ্বানে স্পৰ্শ নকৰাকৈ থকা নাই। ভাগ্য ভাল আছিল, আমাৰ তৰুণ শক্তিয়ে যোৱা ছবছৰে সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামত ব্যস্ত থাকি নতুন অসম গঢ়াৰ সংকল্প লৈছিল। তথাপি তাৰ মাজতে আমাৰ তৰুণ শক্তিক বিভ্ৰান্ত কৰিব পৰা পৰিবেশ সৃষ্টি হোৱাৰ উপক্ৰম হৈছে।

বাস্তৱ সাহিত্য সৃষ্টিৰ নামত নগ্নতাক লৈ আমাৰ অসমীয়া সাহিত্যতো অশ্লীল কিতাপ, নগ্ন আলোচনী ওলাইছে। এইবোৰ আমাৰ উঠি অহা ল'ৰা-ছোৱালীৰ বহুতেই কিনি পঢ়িছে। যৌনতত্ত্ব বিজ্ঞানসম্মত আলোচনা গ্ৰহণীয়; কিন্তু যৌন-উত্তেজক মুকলি চিত্ৰৰ বৰ্ণনা আৰু প্ৰদৰ্শন তৰুণ-তৰুণীৰ সুস্থ মন গঢ়াৰ ক্ষেত্ৰত নিশ্চয় বৰ্জনীয়।

এইখিনিতে প্রশ্ন উঠে যে, আমাৰ পুৰণি সাহিত্যবিলাকত নগ্ন চিত্ৰৰ বৰ্ণনা নাছিল জানো? নিশ্চয় আছিল। এই বৰ্ণনা ৰসোতীৰ্ণ পুৰণি সাহিত্যৰ মাজত থাকি মানুহৰ মনত বিকাৰ ভাবৰ সৃষ্টি নকৰে। এনে সাহিত্যৰ ভিতৰত থকা অখণ্ড ৰসোতীৰ্ণ প্ৰভাৱে খণ্ড নগ্নচিত্তৰ প্ৰভাৱ ম্লান কৰি দিয়ে। আজি সৃষ্টি হোৱা আমাৰ নগ্ন সাহিত্য, তথাকথিত বাস্তৱধৰ্মী আলোচনীত আছে মনক কাম চেতনাৰে বশীভূত কৰিবপৰা বশীকৰণ শক্তিহে—সেই অখণ্ড ৰসোতীৰ্ণ প্ৰভাৱ নাই। আগৰ কালতো যেতিয়াই শৃংগাৰ ৰসৰ বৰ্ণনাই সীমা চেৰাই যাব বিচাৰি পুথিৰ ভিতৰত থকা অখণ্ড ভাবৰপৰা আঁতৰি আহিব খোজে, তেতিয়াই সমালোচকসকলে অনৌচিত্য দোষ বুলি লেখকসকলক সঁকিয়াই দিছিল। আজি আমাৰ সমাজকো এই সঁকিয়নি লাগিব। যিসকল লেখকে, যিসকল প্ৰকাশকে এনে কিতাপ, এনে আলোচনী প্ৰকাশত গুৰুত্ব দিছে, সেইসকলৰ প্ৰতি প্ৰতি আমাৰ অনুৰোধ, সমাজৰ মংগলৰ কাৰণেই যেন সেইসকল এনে সৃষ্টিৰপৰা বিৰত থাকে। সাহিত্যৰ এনে সৃষ্টিয়ে সাহিত্য-ভঁড়াল চহকী নকৰে; বৰং সমাজৰ ক্ষতিহে কৰে। সমাজৰ ক্ষতি সাধন কৰা সাহিত্য আমি কোনোদিনেই বিচৰা উচিত নহয়।

পিতৃ-মাতৃসকলেও যেন বিশেষভাৱে দৃষ্টি দিয়ে—যৌৱনৰ দুৱাৰ-ডলিত ভৰি দিয়া সমাজৰ আশা-ভৰষাৰ স্থল ল'ৰা-ছোৱালীকেইটাই অশ্লীল কিতাপ আৰু তেনে আলোচনী আনি মনে মনে ঘৰ নুসুমাইহি। সচেতন পিতৃ-মাতৃ আৰু সচেতন শিক্ষক-শিক্ষয়িত্ৰীয়ে এনে পৰিবেশৰ পৰা উঠি অহা নতুন পুৰুষক বচাব পাৰে। যি নতুন পুৰুষে নতুন অসম গঢ়াৰ সংকল্প লৈছে, আমাৰ আশা-নতুন অসম গঢ়াৰ সেই নবীন খনিকৰসকল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ চিৰ নতুন লেখনীৰ দ্বাৰা অনুপ্ৰাণিত হ'ব—

এই দেশতেই
জন জীৱনত
সোণ মনটি
সোণৰ পাহিৰে
সোণ হাঁহিৰে ফুলক।

সোণ মনটি, সোণৰ হাঁহিৰে সংস্কৃতিসম্পন্ন পৰিবেশতহে গঢ় লয়। সেয়েহে আমাক এটা সামাজিক আৰু সাংস্কৃতিক বিপ্লৱৰ আৱশ্যক হৈছে। এই বিপ্লৱ ৰাজপথত নহ'ব—এই বিপ্লৱ হ'ব লাগিব অসমক মনে-প্ৰাণে ভালপোৱা অসমৰ মানুহৰ মন-পথাৰত। তৰুণ শক্তিৰপৰা আৰম্ভ কৰি আবাল-বৃদ্ধ-বনিতালৈকে এই নতুন দিনতে দৃঢ়সংকল্প গ্ৰহণ কৰিব লাগিব। আমি সামাজিক আৰু সাংস্কৃতিক দিশত আদৰ্শৰে আগবাঢ়ি ভাল অসমীয়া, ভাল ভাৰতীয় আৰু ভাল বিশ্ব-নাগৰিক হ'ম।

শিশুৰ মানসিক বিকাশ সুস্থভাৱে কৰিব পৰাটো সুস্থ জাতিৰ লক্ষণ। গতিকে পৰিকল্পিতভাৱে শিশু-সাহিত্য যাতে সৃষ্টি হয়, তাৰ কাৰণে শিশু-সাহিত্য ৰচনা কৰাসকলে বিশেষভাৱে মনোনিবেশ কৰা উচিত। অসমীয়া শিশু-সাহিত্য শিশুবদৰেই চালুকীয়া অৱস্থাত আছে। ডাঙৰ আখৰ দি ৰং ঘঁহা ছবিৰে কিবা লেখিলেই শিশু-সাহিত্য নহয়। শিশুৰ মন কৌতূহলৰে ভৰপূৰ। এই কৌতূহলপূৰ্ণ মনৰ খোৰাক যোগাব পৰাকৈ বিষয়বস্তু আৰু ভাষাৰ ওপৰত গুৰুত্ব দিয়া উচিত। সাধুৰ চলৰে হ'লেও বিজ্ঞান আৰু অন্যান্য প্ৰাকৃতিক জগতৰ কৌতূহলী কথাবোৰ ছবি আৰু সহজ-সৰল শুদ্ধ ভাষাৰে শিশু-সাহিত্যলৈ আনিব লাগে। এই বিষয়ত প্ৰচেষ্টা অৱশ্যে চলিছে। তথাপি, এই প্ৰচেষ্টাৰ ক্ষেত্ৰত ভাৰতৰ অন্যান্য উন্নতশীল ৰাজ্যতকৈ আমি পিছপৰিয়েই আছোঁ।

শিশুৰ মানসিক বিকাশত সহায়ক হ'ব পৰাকৈ শিশু-সাহিত্য বয়সৰ স্তৰত ভাগ হ'ব লাগে। জীৱন গঢ়িব পৰাকৈ মহৎলোকৰ জীৱনৰ প্ৰভাৱ ক'ৰ নোৱৰাকৈয়ে পৰিবপৰা, শিশুৰ কাৰণে জীৱনী-সাহিত্য লাগে। ল'ৰা-ছোৱালীয়ে আজিকালি কিবাকিবি জনা হোৱাৰপৰা হিন্দী কথা-ছবিৰ নায়ক-নায়িকাসকলৰ নাম নেজানিলে একো ক্ষতি নাই। কিন্তু শংকৰদেৱ, মাধৱদেৱ, লাচিত, মূলাগাভৰু, চৈতন্যদেৱ, কবীৰ, মহাত্মা গান্ধী, আব্ৰাহাম লিংকন, সৰোজিনী নাইডু, ভগত সিং, ক্ষুদিৰাম, কুশল কোঁৱৰ, কনকলতা আদিক বয়স বঢ়াৰ লগে লগে নেজানিলে ক্ষতি আছে।

অৱশ্যে আজি শুভলক্ষণ এটাই কিছুদিনৰপৰা দেখা দিছে। ইংৰাজী মাধ্যমত সকৰেপৰা পঢ়া ল'ৰা-ছোৱালীয়ে ইংৰাজী

ভাষাত লেখা কমিকছ্ বজৰত বিচাৰি পোৱাৰদৰে আজি অসমীয়া মাধ্যমত পঢ়া ল'ৰা-ছোৱালীয়ে পঢ়িব পৰাকৈ অসমীয়া তথা ভাৰতীয় সংস্কৃতিৰ ওপৰত গঢ় লোৱা বিভিন্ন ৰঙীন ছবিৰে ৰামায়ণ, মহাভাৰত, কীৰ্তন, ভাগৱতৰ কাহিনী, লাচিত, মূলাগাভৰু, জয়মতী, কনকলতা, বুদ্ধদেৱ, আকবৰ আদিৰ জীৱনী বজাৰত বিচাৰি পায়। স্বাধীনতাৰ বহুতো বছৰৰ পাছত অন্ততঃ এটা শুভলক্ষণ দেখিছোঁ যে অভিভাৱকসকলে যদি ভালকৈ পৰিচালনা কৰে, তেনেহ'লে জীৱনৰ প্ৰথম স্তৰতে আমাৰ ল'ৰা-ছোৱালীয়ে ভাৰতৰ মাটিত যুগ যুগ ধৰি জীপ লোৱা সংস্কৃতিৰ জ্ঞানৰে জীৱন গঢ় দিব পাৰিব। অপৰাধমূলক কাহিনীয়ে জীৱনক বিপথে নিব পৰা ৰংচঙীয়া কিতাপো আছে, ল'ৰা-ছোৱালীয়ে হয়তো আঙুলি টোৱাব সেইফালেই। অভিভাৱকে ল'ৰা-ছোৱালীৰ সেই আঙুলি ঘুৰাই আনিব লাগিব জীপাল সংস্কৃতিৰ ওপৰত সৃষ্টি হোৱা শিশু-সাহিত্যলৈ। ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালীৰ অভিভাৱককো আমি এনেভাৱেই নিবেদন জনাইছোঁ। ইংৰাজী কমিকছতকৈ আমাৰ দেশৰ জীপাল মাটিৰ আদৰ্শৰ লগত পৰিচয় থকা অসমীয়া শিশু-সাহিত্য পঢ়ক। মাতৃভাষাক অৱহেলা কৰাৰ উদাহৰণ পৃথিৱীৰ কোনো উন্নত দেশে দাঙি নধৰে। এই প্ৰসংগতে আমি উল্লেখ কৰিছো—অসমীয়া পিতৃ-মাতৃৰ ইংৰাজীৰ মাধ্যমত পঢ়া সন্তানে যেন নিজকে সমাজৰ আন ল'ৰা-ছোৱালীতকৈ বেলেগ এই ভাব নেদেখুৱায়। অসমীয়া পিতৃ-মাতৃৰ কোনেও যেন নকয়—'মোৰ ল'ৰা-ছোৱালীকেইটাই অসমীয়া লেখিব-পঢ়িব নেজানে।'

অসমৰ ল'ৰা-ছোৱালীৰ কাৰণে সঁফুৰা আৰু মৌচাকৰ উপৰিও আৰু শিশু-আলোচনী লাগে। অৱস্থাপন্ন অভিভাৱকে ল'ৰা-ছোৱালীক এই দুখন কিনি দিয়াটো নৈতিক কৰ্তব্য বুলি ধৰক। প্ৰত্যেক প্ৰাথমিক বিদ্যালয়লৈ চৰকাৰে এই আলোচনী যোগান ধৰক। ভুল-ভ্ৰান্তিৰে অন্য ভাষাৰপৰা ভাষান্তৰ কৰা শিশু-আলোচনীলৈ ল'ৰা-ছোৱালীৰ বৰ হেঁপাহ। অসম প্ৰকাশন পৰিষদে অসমীয়া ভাষাত আপুৰুগীয়া মূল্যবান কিতাপ প্ৰকাশ কৰাৰ মাজতে বঙালী ভাষাৰ কিতাপ প্ৰকাশৰ চিন্তা পৰিহাৰ কৰি নিজা মুদ্ৰণ যন্ত্ৰ হৈছে যেতিয়া তাহানিৰ পৰিকল্পনা মতে 'প্ৰকাশ'ৰ লগতে এখন আদৰ্শনীয় আৰু আকৰ্ষণীয় শিশু আলোচনী উলিওৱাৰ দিহা কৰক।

অসম বিচিত্ৰ সংস্কৃতিৰ অধিকাৰী ৰাজ্য। গতিকে আমাৰ লেখকসকলে জনজীৱনৰ কায চাপি বিচিত্ৰ সংস্কৃতিৰ অধিক জনসাধাৰণৰ জীৱনৰ ওপৰত আলোকপাত কৰাকৈ সাহিত্য সৃষ্টি কৰিব লাগে। গল্প, উপন্যাস, নাটক আদিত এনে জনজীৱন কলাৰ ৰূপত,— কলা সমাজৰ কাৰণে, এই ভাবেৰে উদ্বুদ্ধ হৈ সাহিত্যিকসকলে ৰূপায়িত কৰিব পাৰে। অসমৰ চাহ বাগিচাত কাম কৰা আমাৰ চাহ শ্ৰমিকৰ জীৱনেও সাহিত্যিকৰ লেখনীৰ পৰশ বিচাৰিছে। এই আটাইবিলাকৰ ক্ষেত্ৰত যে দুই-চাৰিখন কিতাপ ওলোৱা নাই, এনে নহয়। কিন্তু এটা সংস্কৃতিসম্পন্ন জাতিৰ সাহিত্যক কালজয়ী, সাৰ্বজনীন কৰিবলৈ আৰু প্ৰচেষ্টা লাগিব। আমাৰ আশা, এইক্ষেত্ৰত প্ৰবীণ লেখকসকলৰ লগতে নবীন লেখক-লেখিকাসকলেও নিশ্চয় নিষ্ঠাৰে যত্ন কৰিব গকীৰ মা গৰাকী, হেমিংৱেৰ বুঢ়া মাছমৰীয়াজন, নুট হামচনৰ খেতিয়কজন, হেৰল্ড লেক্সনাছৰ স্বাধীন মানুহজন আমাৰ বিচিত্ৰ চহকী সংস্কৃতিৰ জনজীৱনৰ মাজতেই আছে। তেওঁলোকক বিচাৰি লেখনীৰে ৰূপায়িত কৰি লুইত, গংগা, যমুনাৰ পাৰেদি নি ভল্গা, টেমচ্, মিচিচিপিৰ পাৰত বিশ্বজনীন ৰূপত আমি বিচৰণ কৰাব পৰা নাই। কৰাব কিন্তু পাৰিব লাগিব।

আমাৰ নাটক প্ৰায়েই এক অংকীয়া ৰূপত পাদ-প্ৰদীপৰ সমুখত মঞ্চ আৰু আকাশবাণীৰ মাজতেই আৱদ্ধ থাকিলে নহ'ব। পূৰ্ণাংগ ৰূপত দেশৰ ঐতিহ্য, জনজীৱনৰ নানান সমস্যা আলোকিত কৰি নাটক মঞ্চৰ পাদ-প্ৰদীপৰ সমুখেদি আহি সাহিত্যৰ ভঁড়ালৰো মাণিকী মধুৰী হ'ব লাগিব। ইয়াকে নোহোৱা হ'লে ছেক্সপীয়েৰ, ছেকভ, লুই পি�ৰাণডেলো, টমাচ বেকেট, ব্ৰেখ্ট, কালিদাস, শূদ্ৰক, শংকৰদেৱ, মাধৱদেৱ, জ্যোতিপ্ৰসাদ, গণেশ গগৈ, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ নাটক মঞ্চৰ ব্যৱহাৰৰ উপৰিও সাহিত্য হিচাপেও স্মৰণীয় নহ'লহেঁতেন। নাম উল্লেখ নকৰাকৈ আমি ক'ব খুজিছোঁ যে, প্ৰবীণ আৰু প্ৰবীণ হ'বলৈ যোৱা অসমৰ কেইবাজনো নাট্যকাৰে এনে প্ৰচেষ্টা চলাইছে। এই প্ৰচেষ্টা প্ৰায় ফলৱতী হৈছে। নাটকক মঞ্চই সামৰি লওক, লগে লগে সামৰি লওক সাহিত্যই। নবীন নাট্যকাৰসকলে এইফালে নিশ্চয় দৃষ্টি দিব।

আমাৰ সদায়েই আক্ষেপ যে, আমাৰ সাহিত্যত প্ৰাচীন সংস্কৃত সাহিত্য আৰু বিশ্ব-সাহিত্যৰ ৰেঙণি যিদৰে পৰিব লাগিছিল সেইদৰে এতিয়াও পৰাহি নাই। ওচৰৰে বঙালী ভাষাৰ এই প্ৰচেষ্টা শলাগিবলগীয়া। বেদ, উপনিষদৰ পৰা আৰম্ভ কৰি নবেল

বঁটা বিজয়ীৰ গ্ৰন্থ প্ৰচুৰ পৰিমাণে বঙালী ভাষাত ওলাইছে। গতিকে অসমীয়া পঢ়ুৱৈ সমাজতকৈ বঙালী ভাষাৰ পঢ়ুৱৈ সমাজে বিশ্ব-সাহিত্য আৰু প্ৰাচীন ভাৰতীয় সাহিত্যৰ জ্ঞান আহৰণ কৰিবলৈ যথেষ্ট সুবিধা পায়। আমাৰ ভাষাত প্ৰাচীন সংস্কৃত সাহিত্যই হওক বা বিশ্ব-সাহিত্যই হওক, দুই-চাৰিখন যে ভাঙনি হোৱা নাই, এনে নহয়; কিন্তু সংখ্যা বৰ তাকৰ।

আমাৰ ভাষাৰ পৰাও অন্যান্য প্ৰান্তীয় ভাষা আৰু লগতে অন্য বিদেশী ভাষালৈ—ঠিক তেনেকৈ প্ৰান্তীয় ভাষা আৰু অন্যান্য বিদেশী ভাষাৰ পৰা বছা বছা গ্ৰন্থ অনুবাদৰ ব্যৱস্থা হ'ব লাগে। এইক্ষেত্ৰতো সাহিত্য একাডেমী, নেশ্যনেল বুক ট্ৰাষ্ট আৰু অন্যান্য প্ৰকাশকে কিবা যে কৰা নাই এনে নহয়—কিন্তু সেই প্ৰচেষ্টা চ'তমহীয়া প্ৰখৰ ৰ'দত বালিৰে উপচি থকা ঠাইৰ মাজেদি যাব খোজা সামান্য এটি নিজৰাৰ প্ৰচেষ্টাহে। আমি আশা কৰোঁ—বিশ্ববিদ্যালয় দুখন, প্ৰকাশন পৰিষদ আৰু সাহিত্য সভাই সমূহীয়াকৈ হওক বা পৃথকভাৱেই হওক এই বিষয়ে আঁচনি ল'ব। আজিৰ পৰা প্ৰায় পাঁচশ বছৰৰ আগতে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আদি বৈষ্ণৱ গুৰু আৰু অন্যান্যসকলে কৰা চিৰস্মৰণীয় অনুবাদৰ কীৰ্তিৰশিয়ে আমাক একো অনুপ্ৰেৰণা দিব নোৱাৰেনে? বৰ্তমান নতুন অসম গঢ়াৰ সংকল্প লোৱা গণ-পৰিষদ চৰকাৰে এনে কামৰ কাৰণে আৰ্থিক সাহায্য আগবঢ়াওক। আমি উল্লেখ কৰা অনুষ্ঠানসমূহতেও অৰ্থৰ যোগাৰ কৰক। জাতিটোক জীয়াই ৰখাই নহয়, মানসিক ৰূপে শক্তিশালী কৰি তুলিবলৈ এনে আঁচনিৰ ৰূপায়ণতো যুদ্ধকালীন তৎপৰতা লাগিব।

সাহিত্য সৃষ্টিত আমাৰ নাৰীসমাজেও উপযুক্ত ৰঙণি তাহানিকালৰ পৰা আগবঢ়াই আহিছে। পুৰণি চামৰ পিছে পিছে নতুন এচাম লেখিকাই আত্মবিশ্বাসেৰে লেখনী লৈ সাহিত্য-ক্ষেত্ৰলৈ আহিছে। তথাপিও ক'ব লাগিব, মহিলা লেখিকাৰ সংখ্যা এতিয়াও বহুত কম। নাৰীৰ মনোজগতৰ পৰা আৰম্ভ কৰি সমাজত নাৰীৰ স্থান নিৰ্ণয় কৰালৈকে নাৰীকেই বহুতো সমস্যা গল্প, উপন্যাস, কবিতা, নাটক, প্ৰবন্ধ আদিৰ মাজেদি দাঙি ধৰিবলৈ আমাৰ মহিলা লেখিকা যিমানেই ওলায় তিমানেই অসমীয়া সাহিত্যৰ মংগল। মহিলা লেখিকা আৰু মহিলা সাহিত্য প্ৰেমীসকলক উদ্‌গণি দিবৰ কাৰণে সাহিত্য সভাৰ খোজতে খোজ মিলাই সুকীয়াকৈ দুটি মহিলা অনুষ্ঠান হৈছে। এতিয়ালৈকে সক্ৰিয়ভাবে দুয়োটা অনুষ্ঠানে ভাষা-সাহিত্যৰ প্ৰতি ধাউতি থকা মহিলাসকলক লৈ পোহৰৰ বাটেদি দৃঢ়বিশ্বাসেৰে আগবাঢ়িছে।

মাজে মাজে কেতিয়াবা কাকতে-পত্ৰই আলোচনা হয় যে সাহিত্য সভাত প্ৰবীণসকলেই বৰপীৰা পাৰি বহিছে। আমি এই কথাৰ সঁচা-মিছা সম্পৰ্কে একো মন্তব্য নকৰি ক'ব খুজিছোঁ যে, সাহিত্য সভাৰ পৱিত্ৰ পতাকাৰ তললৈ প্ৰবীণ লোকসকলে নবীন লেখক-লেখিকাসকলক নিষ্ঠাৰে আহ্বান জনাইছে। নবীন লেখক-লেখিকাসকলে নিশ্চয় উপলব্ধি কৰিছে যে, অসম সাহিত্য সভাই নবীন লেখক-লেখিকাক আলোচনা চক্ৰ, কবি-সম্মিলন আদিলৈ নিমন্ত্ৰণ কৰাৰ উপৰিও সাহিত্যৰ বিভিন্ন শাখাত নবীন লেখক-লেখিকাৰ কাৰণে প্ৰতিযোগিতাও পাতিছে। অন্যান্য অনুষ্ঠান আৰু বাতৰি প্ৰতিষ্ঠানেও নবীন লেখক-লেখিকাক বিভিন্ন প্ৰকাৰে উদ্‌গণি দিছে। সাহিত্য সভাৰদৰে জাতীয় অনুষ্ঠানৰ পৰিবেশৰ মাজত নবীন লেখক-লেখিকাসকলে কেনেদৰে প্ৰতিশ্ৰুতিৰ তিলক পিন্ধি আগবাঢ়িব পাৰিব, সেইকথা আমি জনাত সাহিত্য সভাই নিষ্ঠাৰে চিন্তা কৰিবলৈ লৈছে। নবীন আৰু প্ৰবীণৰ চিন্তাৰ সংলগ্নৰ সাঁকোডাল কোনেও যেন শীতকালীন বতৰৰ সাঁকো হৈ থাকিব বুলি নেভাবে— এই সাঁকোৰ তলতে পকা দলঙৰ বুনিয়াদো গঢ় লৈ উঠিছে। এয়া নিৰাশাৰ ডাৱৰ ফালি আশাৰ সূৰুয ওলোৱাৰ বতৰ। এই বতৰতে আমি মন-প্ৰাণ সজীৱ কৰি তোলোঁ আহক।

অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনে আমাৰ মাজত, ওপজা মাটিৰ লগত সম্বন্ধ থকা বহুতো ন লেখক-লেখিকা উলিয়াইছে। সাহিত্য সৃষ্টিত কবিতা, নাটক, গল্প, উপন্যাসে প্ৰসাৰতা লাভ কৰিছে- নবীনসকলে প্ৰবীনসকলতকৈও বেছি উপলব্ধি কৰিছে -

আজি জনতাৰ আলোক বিজয়ী
অপূৰ্ব অভিযান
আজি পৃথিবীৰ আকাশে আকাশে
জনতাৰ আহ্বান

নৱ জীৱনৰ মহা সংঘাতে
কঁপায় বৰ্তমান।

এই নৱ জীৱনৰ সন্ধান আছে জনজীৱনৰ সুখ-দুখ হাঁহি-অশ্ৰুৰ মাজত। প্ৰসাৰতাৰ লগতে গভীৰতাকে এনে সুখ-দুখ হাঁহি-কান্দোনক উপলব্ধি কৰি মংগলময় কলাৰ মাজেদি সাহিত্য সৃষ্টিত নবীনসকলে নিশ্চয় বৰঙণি আগবঢ়াব বুলি আশা কৰিলোঁ।

অপ্ৰিয় হ'লেও এটা কথা ক'বলগীয়া হৈছে। সেইকথা অসম সাহিত্য সভা প্ৰাক্তন সভাপতি, সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাদেৱে অতি দুখেৰে উল্লেখ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশ পাবলগীয়া চন্দ্ৰকান্ত অভিধানখনৰ তৃতীয় তাঙৰণ আজিও নোলাল। গুৱাহাটী বিশ্ববিদ্যালয়ে এই দায়িত্ব লৈছিল যেতিয়া অভিধানখন উলিওৱা এই বিশ্ববিদ্যালয়ৰ প্ৰধান দায়িত্ব আছিল। কাৰণ এই অভিধানখনৰ লগত প্ৰাচ্যবিদ স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈ আৰু তেখেতৰ পৰিয়ালৰ সন্মান আৰু স্মৃতি জড়িত হৈ আছে। লগতে জড়িত হৈ আছে অসমীয়া জাতিৰ কৰ্তব্যবোধ। গুৱাহাটী বিশ্ববিদ্যালয়ে সন্দিকৈ ডাঙৰীয়াৰপৰা অৰ্থ-সাহায্য পাইছে যেতিয়া..... এই অভিধানখন...অতি সোনকালে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিব লাগে। এই দাবী অসম সাহিত্য সভাৰেই নহয়—অসমীয়া জাতিৰ দাবী।

আমি নিশ্চয় পাহৰি যোৱা নাই যে, সাহিত্য সভাৰ ডিফু অধিবেশনত আমি জাতীয় ন্যাসৰ কাৰণে এককোটি টকা ৰাইজৰ পৰা তুলিম বুলি সংকল্প গ্ৰহণ কৰিছিলোঁ। ডিফুৰ পাছত এইখন অধিবেশনৰে সৈতে তিনিখন অধিবেশন পাৰ হ'ল। সাহিত্য সভাৰ কৰ্মীসকল কিন্তু এইক্ষেত্ৰত লক্ষ্যত উপনীত হ'বলৈ চকুৰে নমনা দূৰত আছে। এই বিষয়ে আহৰণ কৰা আমাৰ সামান্য অভিজ্ঞতাৰ পৰা ক'ব খুজিছোঁ যে, আমাৰ কৰ্মীৰহে অভাৱ হৈছে, ৰাইজৰ সঁহাৰিৰ অভাৱ হোৱা নাই। নতুন চৰকাৰে আগৰ বন্ধ কৰি থোৱা মঞ্জুৰী সাহিত্য সভাক দিম বুলি কোৱাৰ কাৰণে আৰ্থিক অসুবিধা দূৰ হ'ব বুলি আমি যেন আত্মসন্তুষ্টিৰ ভাব নলওঁ। অসম সাহিত্য সভাৰ ৰূপায়ণ কৰিবলগীয়া আঁচনি আছেও আৰু ল'বও লাগিব। গতিকে সাহিত্য সভাৰ নিষ্ঠাবান কৰ্মীসকলক শুভদিনৰ আৰম্ভণিৰ পৰাই জাতীয় ন্যাসৰ লক্ষ্যত উপনীত হ'বলৈ দ্ৰুতভাৱে ব্যৱস্থা গ্ৰহণ কৰাৰ নিমিত্তে আমি কৰযোৰে নিবেদন জনাইছোঁ।

অৰ্থৰ অভাৱত মাহেকীয়া হ'ব নোৱৰা 'অসম সাহিত্য সভা পত্ৰিকা'খন নতুন ৰূপত মাহেকীয়া পৰ্যায়লৈ আনিবই লাগিব। অসম সাহিত্য সভাৰ শাখা সভাসমূহে কমেও দহখন পত্ৰিকা নি বেচাতো বাধ্যমূলক হ'ব লাগে। এতিয়া আমি সকলো কথাতে অস্তিত্বৰ কথা ক'লেই নহ'ব, বিকাশৰ কথাও ক'ব লাগিব।

অসম সাহিত্য সভা যেতিয়া জাতীয় চেতনাৰ সঞ্জীৱনীৰ উৎস— এই চেতনাক সৃষ্টিশীল-কৰ্মমুখী কৰি ৰাখিবলৈ আমাৰ জিলা সাহিত্য পৰিষদ আৰু শাখা সাহিত্য সভাসমূহ এতিয়াতকৈ বেছি সক্ৰিয় হ'ব লাগিব। অসম সাহিত্য সভা যেতিয়া এটা অৰাজনৈতিক জাতীয় অনুষ্ঠান—এই অনুষ্ঠানৰ পবিত্ৰ পতাকাৰ তলৰে অসমত আইন সংগতভাৱে, চিৰস্থায়ীৰূপে বাস কৰা জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে অসমবাসীক আদৰি আনিব লাগিব। ইয়াৰ বাবে লাগিব অসম-সাহিত্য সভাৰ এতিয়াতকৈও শক্তিশালী সংগঠন। সকলো চাহ বাগিচা আৰু সংবিধানৰ বিধি অনুসৰি বাসিন্দা হোৱা লোকৰ চৰ-অঞ্চলকো অসম সাহিত্য সভাৰ সংগঠনে সক্ৰিয়ভাৱে স্পৰ্শ কৰিব লাগিব। শাখা সাহিত্য সভা নগৰ আৰু থলুৱা গাঁৱতে গঠন হ'লেই নহ'ব, এই অঞ্চলবিলাকতো গঠন হ'ব লাগিব। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিয়ে তেওঁলোককো স্পৰ্শ কৰিব লাগিব।

অসমীয়া ভাষা-সাহিত্যৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ কাৰণে প্ৰাণকেন্দ্ৰ যত্ন কৰোঁতা ড° নাথান ব্ৰাওনাৰ মৃত্যু-শতবাৰ্ষিকী, অসমীয়া ভাষাৰ ওজা হেমকোষ ৰচক হেমচন্দ্ৰ বৰুৱাৰ ডেড়শ বছৰীয়া জন্মবাৰ্ষিকী, অসমীয়াৰ জাতীয়-চেতনাক উদ্বুদ্ধ কৰা, শয়নে-সপোনেও সুন্দৰ ভাৰতৰ ভিতৰত সুন্দৰ অসম এখনৰ পৰিকল্পনা কৰা অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্মবাৰ্ষিকী অসম সাহিত্য সভা আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত অসমৰ বিভিন্ন স্থানত পালন কৰা হৈছে। অসমক নতুন ৰূপত গঢ় দিবলৈ লোৱা এই শুভ সময়ত ভাষা জননীৰ সেৱক-সেৱিকাসকলে তথা সমগ্ৰ অসমীয়া জাতিয়ে এইসকলৰ দৰে মনীষীৰ কৰ্মৰ অনুপ্ৰেৰণা লৈ উন্নতিৰ পথত আগবাঢ়িব লাগিব।

অভিভাষণ চমু অথচ সাৰ্ৱভৌম কথাৰে লেখিবলৈ শ্ৰদ্ধাভাজন বয়োজ্যেষ্ঠ লোকৰ কেইবাজনেও আৰু দুই-চাৰিজন বন্ধু-বান্ধৱেও আমাক চিঠি-পত্ৰৰে উপদেশ দিছিল। এই দুটাৰ এটাও কৰিব নোৱাৰিলোঁ। সাৰ্ৱভৌম জ্ঞান-গৰ্ভ কথানো ক'ৰপৰা লেখিম? অভাজনৰ জ্ঞানৰ শূন্য ভড়ালত মানিকী মধুৰী, কণজহা বিচাৰিলেনো ক'ত পাম? সশ্ৰদ্ধ বাইজলৈ বিনীতভাৱে যি আগবঢ়াইছোঁ—তাকে অনুগ্ৰহ কৰি গ্ৰহণ কৰক। দোষ-ত্ৰুটীৰ বাবে নতশিৰে ক্ষমা ভিক্ষা মাগিছোঁ।

ওঁ সৰ্ৱে ভৱন্তু সুখিনঃ
সৰ্ৱে সন্তু নিৰাময়াঃ।
সৰ্ৱে ভদ্ৰাণি পশান্তু
মা কশ্চিৎ দুঃখভাগ্ ভৱেৎ।।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ভাষাৰে সামৰণি মাৰি সদৌ বাইজলৈ সেৱা জনাইছোঁ—

"বাজক ডবা বাজক শংখ
বাজক মৃদঙ্গ খোল,
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল।"

-- * --

ত্রিপঞ্চাশত্তম অধিৱেশন

পাঠশালা, ১৪ ফেব্রুৱাৰী ১৯৮৭ চনং

ডক্টৰ মহেন্দ্ৰ বৰা

আদৰণী সমিতিৰ পৰম শ্ৰদ্ধাভাজন সভাপতি ডাঙৰীয়া, মোৰ অগ্ৰজপ্ৰতিম বিগত বছৰৰ শ্ৰদ্ধেয় সভাপতিদেউ, শ্ৰদ্ধাষ্পদ মুখ্য অতিথি আৰু অন্যান্য বিশিষ্ট অতিথি মণ্ডলী, সমবেত সতীৰ্থ প্ৰতিনিধিবৰ্গ আৰু চিৰ-শ্ৰদ্ধাভাজন সমাগত বাইজ। মোৰ বহুতো অখ্যাতি-অপযশৰ মাজত আটাইতকৈ নিৰ্ভুল অপযশটো হ'ল, গতানুগতিক বিনয়-বচন উচ্চাৰণ কৰাৰ সামান্য অভ্যাসকণো মোৰ নাই। তথাপিও মই ক'বলৈ বাধ্য হৈছোঁ, মোক আপোনালোকৰ হৃদয়-ওপচা মৰমেৰে চিৰদিনলৈ ঋণী কৰাৰ হেপাহটোৱে মই-মানুহটোক এনেকুৱা এটা মুহূৰ্তৰ মুখামুখি কৰি দিছেহি, য'ত মই মোৰ জীৱনত প্ৰথমবাৰৰ কাৰণে আপোন অক্ষমতা আৰু অযোগ্যতাৰ বিষয়ে অবহিত নোহোৱাকৈ থাকিব পৰা নাই। মই ক'ব পৰা নাই, যিখন অতি পৱিত্ৰ আসন অলংকৃত কৰি এদিন সাহিত্যৰথী বেজবৰুৱাই এই সভাৰ ৰজা-অভিভাষণখন প্ৰদান কৰি থৈ গৈছে, সাহিত্যভীষ্ম গোহাঞিবৰুৱাই পোহৰ-বাটৰ পটিটো যাউতি-যুগীয়াকৈ সাঁচি থৈ গৈছে, পাণ্ডিত্যবাৰিধি সন্দিকৈ ডাঙৰীয়াই বিশ্বসাহিত্যৰ খিৰিকীকেইখন মুকলি কৰি দি আমাৰ সাহিত্যিকসকলক সাহিত্য-সাধনাৰ বাবে এটা স্থায়ী মানদণ্ডৰ উমান দি থৈ গৈছে; আৰু সৌ সিদিনা মোৰ এজনা গুৰু ডক্টৰ নেওগে সাহিত্য-অধ্যয়নৰ বাবে প্ৰয়োজনীয় বৈজ্ঞানিক উপকৰণসমূহ যতনাই দি থৈ গৈছে, আৰু আনজনা গুৰু ডক্টৰ শৰ্মাই অসমীয়া সাহিত্য-ইতিহাসৰ কেইটামান নেদেখা পটিৰ জাননী-ফলি আঁৰি দি থৈ গৈছে; সেইখন আসনত মই কোন সাহসেৰে বহোঁ! মই খুব বঢ়িয়াকৈ জানো, সেইসকল অমৰ সাহিত্যিক আৰু সূক্ষ্মদৰ্শী চিন্তানায়কৰ কথাই নকওঁ, আনকি বাকীসকল চিন্তানায়কে দি থৈ যোৱা ভাৱনা-সম্পদতো মই এটি সামান্য বালিচন্দাৰ জোখৰ ভাৱনা-কণিকাও যোগ দিব নোৱাৰিম। তথাপি যিহেতু তেনেকুৱা এটা ধৃষ্টতা প্ৰকাশ কৰিবলৈকে আপোনাসকলে মোক আদেশ কৰিছে, মই সেই আদেশ পালন কৰাৰ ভাও এটা দেখুৱাবলৈ বাধ্য হৈছোঁ। সাৰ্থক হওক, অসাৰ্থক হওক, অন্ততঃ ভাওটো কিবা এটা হ'বগৈ বুলিয়েই মোৰ বিশ্বাস এটা উপজিছে। মই মানি লৈছোঁ, মানুহৰ তীৰ্থত স্নান কৰি অমেয় পুণ্য আৰ্জনৰ এই মুহূৰ্তটো মোৰ নিশ্চয় কোনোবা ডাঙৰ কিবা সৎকৰ্মৰ ফল। সেই তীৰ্থৰ পানী যুঁৱলিত থিয় হৈ মই স্মৰণ কৰিছোঁ সেইসকল ভাষা-জননীৰ অমৰ সন্তানক, যিসকলে কলিজাৰ অৰুণ-ৰঙা তেজত তিয়াই জ্যোতিৰ্ময় জীৱনৰ কাপেৰে মহাকালৰ কুঁৱলী-কাগজত লিখি থৈ গৈছে সময়ৰ হাতে মলচিৰ নোৱৰা এযাৰ ভমকাফুলীয়া কথা : সাধনাৰ ভেটিতহে সাহিত্য-সংস্কৃতিৰ মংগলমন্দিৰ প্ৰতিষ্ঠিত।

অসম সাহিত্য সভা সপোন পৱিচয় হেৰুৱাই পেলোৱা নিজকে অসমীয়া বুলি যহাই ফুৰা মাথোন এমুঠি লেখা-পঢ়া কৰা মানুহৰ এটা সাহিত্যিক সংস্থা নহয়। ই ডেৰ কোটিৰো অধিক মানুহৰ-যিবোৰৰ অনেক ধৰণৰ দ্বিতীয় পৱিচয় আছে, যিবোৰৰ মাত-কথাত বুৰঞ্জীৰ হাত-বুলনি লাগি বহু বিচিত্ৰ ৰঙৰ আভাস বিৱিঙি আছে— সেই সকলোবোৰ অসমীয়াৰ প্ৰাণৰ স্পন্দন। আত্মচেতনাৰ অবিহনে কোনো জাতিয়েই কেতিয়াও আত্মমৰ্যাদাবোধৰ অধিকাৰী হ'ব নোৱাৰে। আৰু আত্মমৰ্যাদাবোধৰ অবিহনে নিস্বাৰ্থ সাধনাৰ কথা কল্পনা কৰিব নোৱাৰি। অথচ, মাজে মাজে অনুভৱ কৰোঁ, আমি যেন সকলোৱেই আমাৰ সত্তাক অপৱিচয়ৰ অজ্ঞতাৰে ঢাকি পেলাইছোঁ। অসম কেৱল ভূগোলৰ মানচিত্ৰত পোৱা দুটা ত্ৰিভূজৰ ছবিখনত ডাঙৰটো ত্ৰিভূজৰ পৰা কুকুৰা চৰাইৰ ডিঙি এটা লৈ ওলমি থকা সৰুটো ত্ৰিভূজে সামৰি থোৱা এচমকা অপাংক্তেয় ভূমিখণ্ড নহয়। সেই পৱিচয় ৰাজনীতিৰ দলিল-দস্তা-বেজত থকা লাট-মণ্ডলৰ শিকলিৰে জোখা কাকতালীয় পৱিচয়; চমকা-চমকে লোকে কাঢ়ি নিয়াৰ পাচত অৱশিষ্ট

মাটিখিনিৰ ভাই-ককাইৰ মাজত ভাগ-বতৰা হৈ বৈ যোৱা মাথোন এটা ভাইৰ এডৰা মাটিৰহে পৰিচয়। সেই পৰিচয়ত অসমীয়াৰ পূর্ব পুৰুষৰ কোনো পৰিচয় নাই। ভূগোলৰ গড়খৰৈবোৰ নেওচি সময়ৰ খিৰিকিৰে জুমি চালেহে আমাৰ সঠিক পৰিচয়টো বিচাৰি পাওঁ। তাকে কৰিলেই আমি গম পাম, আমাৰ তেজৰ লগত চিনাকি থকা একেখিনি তেজৰ প্ৰবাহ বৈয়ো মাথোন মঙহৰ ফাট মেলা গোটেইবোৰ অঙহী-বঙহী সিঁচৰিত হৈ আছে আমাৰ চাৰিওফালে সমকালৰ নতুন নতুন নাম লৈ, নতুন একোখনকৈ ঘৰ পাতি। সুঁৰৰিবৰ মন যায় এষাৰ অতি গৌৰৱৰ কথা, গোটেইখন ভাৰতবর্ষত অন্ততঃ এখন ৰাজ্য আছে, য'ৰ বিধান সভাৰ মজিয়াত সকলো কাম-কাজ কথা-বতৰা চলে অসমীয়াৰেই বিৰর্তিত ৰূপৰ ভাষা এটাৰে। নামটো নক'লেও হ'ব— নগালেণ্ড। তাৰ মানুহে নিজকে চিনি পায়; আৰু চিনি পায় আমাক— চিৰদিনৰ মিতুৰ বুলি, সুখৰ দিনৰ দুখৰ দিনৰ সাজিসখী বুলি। সেইকাৰণেই, অসমত যেতিয়া এটা আপোনাৰ গাতে তৰোৱাল খোচ মৰা চৰকাৰৰ ৰাজত্ব চলি আছিল, তেতিয়া অসম সাহিত্য সভাৰ গোলঘাট অধিৱেশনৰ প্ৰতিনিধি-মণ্ডলীক এসাজ মাহে-বেঙেনাই ভাতৰ যোগান ধৰিছিল নগালেণ্ড চৰকাৰে। অসমীয়াৰ স্মৃতিৰ কুঠৰীত সেই সাজ ভাতৰ জুতি নজহা-নপমাকৈ জীয়াই থাকিব। অসমীয়া জাতিৰ সকলো পৰিচয় বুৰঞ্জীৰ পাতৰ পৰা মচি পেলাবলৈ ষড়যন্ত্ৰ কৰা শক্তিসমূহৰ উচটনিত ঘটা দুয়োখন ৰাজ্যৰ সীমান্তত শত মেৰাপানীৰ ঘটনায়ো সাজিসখীৰ চিৰকলীয়া বান্ধোন ছিণ্ডি পেলাব নোৱাৰে। আমাৰ সকলোৰে হৈ মোৰ এসময়ৰ ছাত্ৰ আৰু বর্তমানৰ সহকর্মী এগৰাকীয়ে নাগামিজ ভাষাৰ এখন ব্যাকৰণ লিখি নগালেণ্ডৰ মানুহক উপহাৰ দিছে; আৰু বর্তমান তেওঁ নাগামিজ ভাষাত 'কুঁহিপাঠ' লিখাত ব্যস্ত হৈ আছে। জানোচা আমাৰ সাজিসখীৰ স'তে থকা পুৰণি বান্ধোনটো আৰু কটকটীয়া হৈ উঠে।

ঠিক সেইদৰে, অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিৱেশনত সময়ৰ মূৰকত বগীতামৰ যোগান বন্ধ কৰি আৰু চুবুৰীয়া ডাক-বঙলাবোৰ অনাহকতে চৰকাৰী কর্মচাৰীৰে ওপচাই পেলাই প্ৰতিনিধিমণ্ডলীক লটিঘটিত পেলাই এশিকনি দিয়াৰ ষড়যন্ত্ৰ কৰা সময়তো তেতিয়াৰ অৰুণাচল চৰকাৰে লগৰীয়া চৰকাৰ এটা বিতুষ্টিকো আওকাণ কৰি দুয়োটাৰে যোগান ধৰিছিল উভৈনদীকৈ। অসমীয়াৰ স্মৃতিৰ পটত সেই খাঁজিখোৱা ভাত কেইসাজৰ আলফুলীয়া মৰমৰ ছবি জীৱন্ত হৈ ৰ'ব। তাতো আমাৰ সকলোৰে হৈ পাৰুল দত্ত প্ৰমুখ্যে কেইগৰাকীমান চৰিত্ৰবান আৰু বিদ্বান নৃতত্ত্ববিদে অৰুণাচলী জনজাতিসমূহৰ সম্পর্কে তথ্যপূর্ণ পুথি প্ৰকাশ কৰি তেওঁলোকৰ প্ৰতি থকা অসমীয়াৰ সাঁচতীয়া মৰমৰ চুমহিটো মেলি ধৰি বুৰঞ্জীৰ পুৰণি পটিটোৰ উমান দিছে।

মেঘালয়ৰ বেলিকাও একেটা ঘটিছে। আমাৰ দুখৰ দিনত তেওঁলোক শিলং পাহাৰৰ পৰা জাকে জাকে নামি আহি আমাৰ হকে দুষাৰ মাত মাতি গৈছিলহি। আমাৰ সকলোৰে হৈ লুইতকোঁৱৰ ড° ভূপেন হাজৰিকাই তেওঁলোকৰ চিৰকলীয়া শ্বৱতী বাঁহীৰ সুৰটো সময়ৰ হাতে মচিব নোৱৰাকৈ সাঁচি থৈ তেওঁলোকৰ সাংস্কৃতিক সত্তাক এক নতুন বিস্তৃতি প্ৰদান কৰিলে। এই সকলোবোৰ সোঁৱৰণি আজি এই ৰাইজৰ মহামেলত উদঙাই ধৰিছোঁ মাথোন এষাৰ কথা ক'বলৈ—বিশ্বৰ এচুকত আমি অকলশৰীয়া নহওঁ। আমিও তেওঁলোকক অকলশৰীয়া হৈ কোনোকালেই মৰহি যাবলৈ নিদিওঁ।

কথাৰ আঁত হেৰুৱাই পেলাইছোঁ। আঁত ধৰি ক'ব খোজা কথাষাৰলৈ উভতি আহোঁ। সকলো দেশৰে প্ৰত্যেকজন মানুহৰে পৰিচয় যেনেকৈ কেইবাটাও ভিন্ন স্তৰৰ ভিন্ন পৰিচয়ৰ বিচিত্ৰ সমাহাৰ, ঠিক তেনেকৈ প্ৰত্যেকজন অসমীয়াৰো পৰিচয় কেইবাটাও আনুলম্বিক আৰু আনুভূতিক স্তৰত সক্ৰিয় বিভিন্ন অথবা চতুর্থ পৰিচয়। কোনোবাজন হয়তো ধর্মবিশ্বাসৰ ফালৰ পৰা হিন্দু অথবা মুছলমান অথবা শিখ ইত্যাদি। তাৰো সংকীর্ণতৰ পৰিধিত ভিন ভিনজন হয়তো ব্ৰাহ্মণ অথবা দ্বিতীয়ৰ পৰা পঞ্চম বর্ণৰ যি কোনো এটাৰ পৰিচয়েৰে অব্ৰাহ্মণ। সেইটো স্তৰৰ সংকীর্ণতম পৰিধিত ভিন ভিন জন হ'ব পাৰে বিভিন্ন সংহতিৰ ভিতৰুৱা অথবা বাহিৰা অন্য বহু কিবাকিবি। আকৌ প্ৰজাতীয় অধঃক্ৰমণৰ ফালৰ পৰা ভিন ভিন জন হ'ব পাৰে, আর্য অথবা অষ্ট্ৰেলীয় অথবা মংগোলীয় নহ'লেৰা ভূমধ্যসাগৰীয়। সিবোৰৰ পৰিচয় বহন কৰিছে—চুলিৰ গঢ়-গতি, চকুৰ পাহি আৰু নাকৰ সৈতে মুখ-মণ্ডলৰ আকৃতি, গালৰ হাড়ৰ আকাৰ-প্ৰকাৰ, মূৰৰ গঠন-প্ৰকৃতি আৰু বাকী সজাটোৰ বান্ধোনে। সিবোৰকে লৈয়েই এইবোৰ ভিন্ন পৰিচয়, যিবোৰৰ সকলোখিনি বিশুদ্ধ ৰূপটো নির্ণয় কৰাৰ কিছুমান উপায় উলিয়াইছে। সেয়া হ'ল, বস্তুজিনৰ বিশ্লেষণ। মানুহৰ তেজৰ টোপালত থকা অণু-পৰমাণুৰ লেখ-জোখ লৈ সিদ্ধান্তত উপনীত হোৱাৰ উপায়। তেজৰ টোপালত

বিশুদ্ধতাৰ পম্ খেদিবলৈ গৈয়েই হিটলাৰৰ মৰণ ঘটিছিল। তেওঁৰ 'শ্ৰেষ্ঠতম ৰক্তসংক্ৰান্ত মতবাদ'ৰ কৃপাতে অছৰিঝত লক্ষ লক্ষ ইহুদীৰ মৃতদেহেৰে নিৰ্মিত হৈছিল এক গগনচুম্বী লাওখোলাৰ পিৰামিড। মোৰ এজন তাহানিখনৰ সহপাঠী-বন্ধু ড° ভুবনমোহন দাস — এগৰাকী জাৰ্মান নৃতত্ত্ববিদৰ সহযোগত অসমীয়াৰ ভিন ভিন জনগোষ্ঠীৰ অসংখ্য মানুহৰ তেজৰ টোপাল লৈ এক অতি কঠিন গৱেষণাকাৰ্যত ব্ৰতী হৈ আছে। তেওঁ মোক এষাৰ তাৎপৰ্যপূৰ্ণ কথা কৈছিল : 'ঢেৰ খেলিমেলি, কাৰো তেজত কোনোটো প্ৰজাতিৰ বিশুদ্ধ ৰক্তজিন পোৱা নাই'। আৰু এষাৰ কথা। ৰক্তজিনৰ পৰীক্ষাৰে উপনীত হোৱা সিদ্ধান্তবোৰ মানুহৰ কাণৰ কণামাকৰিৰ পৰীক্ষাৰে সমৰ্থিত অথবা অসমৰ্থিত হোৱাৰো উপায় এটা আছে। কণামাকৰিবোৰ তেলতেলীয়া নে খৰখৰীয়া—তাকে চাই নিৰ্ণয় কৰিব পাৰি, মানুহজন আৰ্য নে অনাৰ্য। কিন্তু আচৰিত কথা! তেওঁ মোক কৈছিল, 'আৰ্য বুলি যহাই ফুৰোঁতা বহুতৰে কণামাকৰি দেখোন অনাৰ্য লক্ষণাক্ৰান্ত; আৰু অনাৰ্য বুলি মূৰ খজুৰাই ফুৰা বহুতৰে কণামাকৰি দেখোন আৰ্য লক্ষণৰ ওচৰ চপা।' মই তেওঁক কৈছিলোঁ, সাঁচিপাতেও সেই কথাষাৰকেই কয়। অসম বুৰঞ্জীত গৰুৰ পিঠিত উঠি যুঁজলৈ যোৱাৰ পৰা লেটিপেটি কৰি পিৰালিত বহি ভাত খাবলগীয়া হোৱালৈকে বহুত অঘটন ঘটাৰ কথা ঠাহ খাই আছে। এইষাৰ কথাৰ গাতে আঁউজি মই ক'ব খুজিছোঁ, কোনো অসমীয়াৰে দ্বিতীয় পৰিচয় নাই; আৰু সময়ে-অসময়ে তেনেকুৱা যিবোৰ দ্বিতীয় পৰিচয় দাঙি ধৰা হয়, সেই সকলোবোৰ সময়ৰ ধূলিৰে মলিন। লুইতৰ ৰঙচুৱা পানী চাই তাৰে একলহ আনি কোনে ক'ব পাৰে, সেইখিনি আচলতে ক'ৰ পানী—দিহিঙৰ মদৰুৱা পানী, নে ধনশিৰী ৰূপালী পানী, নে সোণকোষৰ সোণোৱালী পানী! সেয়া লুইতৰ পানী।

বিশ্বৰ সৰু এটা মাজুলীত ঠন ধৰি উঠা অসমীয়া জাতিটোৰ, তাৰ সংস্কৃতিৰ ৰূপটোও তেনেকুৱাই। পণ্ডিত নেহৰুৱে তেওঁৰ 'দ্য ডিস্কভাৰি অব ইন্দিয়া' গ্ৰন্থখনত ভাৰত-সংস্কৃতিটোৰ ৰূপ নিৰ্ণয় কৰি থোৱতে এষাৰ কথা লিখি থৈ গৈছে, "সংশ্লেষণেই ভাৰতীয় সংস্কৃতিৰ প্ৰধান চৰিত্ৰ।" তাৰে প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়, অসমীয়া সংস্কৃতিৰো ভিতৰ-চোতালত। সংশ্লেষণেই অসমীয়া সংস্কৃতিৰ প্ৰধান চৰিত্ৰ। বহুতে ক'ব খোজে, সংমিশ্ৰণৰ আধাৰতে অসমীয়া সংস্কৃতিয়ে গঢ় লৈ উঠিছে। সেইষাৰ কথা কিন্তু পোন ৰষাৰ দৰে নিৰহ-নিপানী সঁচা নহয়। সংমিশ্ৰণ আৰু সংশ্লেষণৰ মাজত এটা গভীৰ পাৰ্থক্য আছে। সংমিশ্ৰণৰ পূৰ্ণৰূপটো এটা নহৰুৰ লেখীয়া, গোট বান্ধ থকা; ইচ্ছা কৰিলে তাক ফুট্-ফুট্‌কৈ এৰুৱাই পেলাব পাৰি। সংশ্লেষণৰ পূৰ্ণৰূপটো আনহাতে পনৰুৰ লেখীয়া, পিয়াঁজ এটাৰ নিচিনা; তৰপে তৰপে চামনি বান্ধ মাথোন একেটা বস্তুত পৰিণত হৈ উঠা; চামণিৰ পাছত চামনি এৰুৱাই গ'লে ভিতৰত এটা মাথোন শাহ, যাৰ গোন্ধ বুলিবলৈ প্ৰায় নায়েই। সেইটোৰেই যেনিবা এটা জাতি গঢ় লৈ উঠাৰ ইতিহাসত অকলশৰীয়া ফেঁহ চৰাইটোৰ প্ৰথম কুৰুলি।

সেই সংশ্লেষণৰ ইতিহাস মই অলপ দীঘলীয়াকৈয়ে ক'ব খুজিছোঁ। কাৰণ, সমকালৰ পৰিপ্ৰেক্ষিতত তাৰ প্ৰয়োজন আছে। সঁচাসঁচিকৈয়ে বৰ্তমান কালৰ ভাগি-ছিগি শেষ হৈ অহা অসমখনো বিভিন্ন প্ৰজাতিৰ এক জীবন্ত যাদুঘৰ। তাৰ কাৰণটো মিলচে তাহানিখনতে সঠিককৈ নিৰূপণ কৰি থৈ গৈছে : অসমৰ ভৌগোলিক অবস্থিতি মানুহজাতিৰ বিৰাট প্ৰব্ৰজন-মাৰ্গসমূহৰ ভিতৰত এক উল্লেখযোগ্য মাৰ্গৰ ওপৰত। দৰাচলতে, অসমৰ মাজেদি যোৱা এনেকুৱা প্ৰব্ৰজন-মাৰ্গ অৰ্থাৎ অহা-যোৱা কৰা সাধাৰণ ইতিহাসে ঢুকি নোপোৱা ৰাজআলিৰ সংখ্যা মাথোন এটা নহয়—কেইবাটাও। ইতিহাসৰ পুৰতী বেলাত এইবোৰ প্ৰব্ৰজন-মাৰ্গৰেই আদিম মানৱগোষ্ঠীৰ দল এহাতে অৱশিষ্ট ভাৰতৰ পৰা দক্ষিণ-পুব এচিয়ালৈ আৰু আনহাতে দক্ষিণ-পুব এচিয়াৰ পৰা অৱশিষ্ট ভাৰতলৈ জুমে জুমে প্ৰৱেশ-প্ৰস্থান কৰিছিল। অনুমান কৰিব পাৰি, সিবিলাকৰ অহা-যোৱাৰ বাটত প্ৰধান সোঁতবিলাকৰ পৰা উফৰি পৰি একোমুঠি মানুহ অসমৰ পাহাৰ আৰু ভৈয়ামৰ বিস্তীৰ্ণ অঞ্চলত বৈ গৈছিল। খুব সম্ভৱ, তাৰে কোনোবা এটা দিশৰ অভিমুখী মানৱগোষ্ঠীৰ ভগ্নাংশখিনিয়েই অসমৰ আদিতম খিলঞ্জীয়া মানুহ। কিন্তু কোনেও কঠিয়া-চুঙাৰ পৰা ইয়াৰ মাটিত সোপা মেল খাই সিঁচৰিত হৈ পৰিছিল।

তাৰ পাচত, প্ৰত্যেকটো নতুন সোঁতৰ একোচাম নতুন মানুহৰ সোঁতে পুৰণিচাম মানুহৰ সোঁতৰ বৈ যোৱা খাল-ডোংবোৰ ধুই উঠি একোটা মিহলি পানীৰ ডোবা কৰি লৈছে। নহিবা এনেকুৱাও হৈছে, নতুন মানুহ-প্ৰজাতিৰ পচোৱাই পুৰণি মানুহ-প্ৰজাতিৰ ফিবিঙতিবোৰ ফুৰাই উৰুৱাই পঠিয়াইছে—ভৈয়ামৰ সমতলৰ পৰা ওচৰৰ পাহাৰবোৰলৈ। তেনেকুৱা থাউনি হেৰুওৱা মানুহ এমুঠিৰ নমুনা পোৱা যায়, নগা পাহাৰৰ আও আৰু বেংমা গোষ্ঠী দুটাত। এওঁলোকৰ দৈহিক বৈশিষ্ট্যকেইটা হ'ল :

ভেৰাৰ নোমৰ লেখীয়া আঙঠি বান্ধি থকা চুলি, ক'লা বঙৰ ছাল, চেপেটা সাঁচৰ নাক যাৰ নৃতাত্ত্বিক নামটো হ'ল মেকুৰীচানেকীয়া আৰু তুলনামূলকভাৱে চাপৰ দেহাৱয়ৱ। এই বৈশিষ্ট্যকেইটা নেগ্রিটো লক্ষণাক্রান্ত, যাৰ নির্ভেজাল নমুনা পোৱা যায় আন্দামান দ্বীপপুঞ্জত আৰু মালয় উপদ্বীপৰ কিছুমান জনগোষ্ঠীত। ড° গুহ আৰু ড° হাটচানৰ মতে, ভাৰতবর্ষৰ আদিতম খিলঞ্জীয়া অধিবাসী বুলি ক'ব পাৰি এই নেগ্রিটো প্রজাতিৰ মানুহমুঠিক। সেয়ে যদি হয়, আমাৰ চুবুৰীয়া নগাপাহাৰৰ এই দুটা জনগোষ্ঠীৰ পূর্বপুৰুষ অসমৰ ভৈয়ামত পোনতে খোপনি লোৱা মানুহ মুঠিয়েই আছিল। আৰু তেওঁলোক অসমতে বিদেশী হৈ ইতিহাসৰ কোনোবা ধূসৰ অতীতৰে নিজ দেশৰ পৰা বিতাড়িত হৈ পৰিছিল, ঠিক যিটো ঘটনা বর্তমানৰ ইতিহাসতো দুনাই অভিনীত হোৱাৰ সম্ভাৱনা এটাই আমাৰ বুকুত খামোচ মাৰি ধৰিছিল আৰু এতিয়াও যিটো সম্ভাৱনাৰ খামোচ উচপ খাৱ নলগীয়াকৈ সুলকি পৰা নাই। যি কি নহওক, ড° এলৱিন টফলাৰৰ হিচাপৰ পোহৰত বিচাৰ কৰি চালে, ঘটনাটো ঘটিছিল সম্পূর্ণ মানুহৰ ইতিহাসৰ অন্ততঃ যোৱা ডেৰশ প্রজন্ম উজাই গৈ-মানে প্রায় ৯,০০০ বছৰ আগেয়ে।

তাৰ পাচতো ইতিহাসৰ সুৰংগ-পথেৰে কালে কালে নতুন একোটা প্রজাতিৰ অসমলৈ আগমন ঘটিছিল। এই প্রজাতিবোৰ চিহ্নিত হৈছে এইদৰে ঃ প্রায় অষ্ট্রেলীয়, মংগোলীয়, ভূমধ্যসাগৰীয়, ককেছীয়া আৰু আলপাইন ইত্যাদি। কিন্তু, কোনটো প্রজাতিৰ কোনটো তৰপ আগতীয়া আৰু কোনটো তৰপ পাচৰ কোনোবা তাৰিখৰ, সেই কথাখিনি কোনো নৃতত্ত্ববিদে আজিও খাটাংকৈ ক'ব পৰা নাই। কাৰণ, ইটো-সিটো প্রজাতিৰ জনগোষ্ঠীৰ মাজত বিয়া-বাৰুৰ যোগেদি সঁচ অনা-নিয়াৰ পৰিণতি স্বৰূপে সিবিলাকৰ উত্তৰ পুৰুষৰ প্রতিটো প্রজন্মৰে নতুন মানুহৰ দেহত লাহে লাহে বৈশিষ্ট্যসূচক লক্ষণবোৰ মচ খাই আহিছে আৰু কোনোৱাই বিশুদ্ধ কোনোবাটো প্রজাতিৰ উত্তৰাধিকাৰী হৈ ৰোৱা নাই।

আৰু এটা প্রজাতিৰ মানুহ ভৈয়ামৰ মাটিত আলহী খাই চুবুৰীয়া আন এটা পাহাৰলৈ চিটিকি পৰিছিল। আধুনিকতম নৃবিজ্ঞানে এইটো প্রজাতিৰে নাম থৈছে, প্রায় অষ্ট্রেলীয়। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ দৰে ভাষা বিজ্ঞানীয়ে এওঁলোকৰ নিভাঁজ সঁচটোৰ আন এটা নাম সংস্কৃত সাহিত্যৰ পৰা বুটলি থৈ গৈছে। নামটো হ'ল, নিষাদ। এওঁলোকৰ দৈহিক বৈশিষ্ট্যবোৰ হ'ল এনেকুৱা ঃ মুৰটো জোঙা সাঁচৰ, কপালখন বৈ অহা ধৰণৰ, নাকটো চেপেটা, বাহু দুটা চুটি, গালৰ হাড় শকত আৰু উঠঙা, চকুৰ পাহি ৰঙচুৱা, চুলিৰ ৰং তামৰৰণীয়া আৰু তাৰ গঢ় টো খেলি থকা বিধৰ, থুতৰিটো সোমাই পৰা আৰু গা-গাৰি একাধাৰে ক্ষীণ আৰু চাপৰ। সাত ভনীৰ দেশত এইবোৰ লক্ষণ ঘাইকৈ খাচী, কুকি, মণিপুৰী, কার্বি আৰু বড়ো জনগোষ্ঠীৰ মাজত ভিন ভিন অনুপাতেৰে থুপ খাই সিঁচৰতি হৈ আছে। এওঁলোকৰ ভিতৰত খাচী জনগোষ্ঠীটো কেইটামান বৈশিষ্ট্যপূর্ণ সাংস্কৃতিক লক্ষণেৰে বিধৌত। এওঁলোকৰ সমাজ-গাঁথনি মাতৃপ্রধান ৰীতিৰ ওপৰত প্রতিষ্ঠিত। ভাষাৰ ফালৰ পৰাও এওঁলোক যেন সাত ভনীৰ দেশত মন-খমেৰ ভাষাভাষী জনগোষ্ঠীৰ এটি অকলশৰীয়া মাজুলী। কিন্তু আবয়ৰিক বৈশিষ্ট্যৰ ফালৰ পৰা বাকীকেইটা জনগোষ্ঠী যে অষ্ট্রেলীয় প্রজাতিৰ উত্তৰপুৰুষ নহয়েই, আনকি খাচীসকলৰ দেহাৱয়বতো তাৰ ঘাই লক্ষণবোৰ কম-বেছি পৰিমাণে মংগোলীয় প্রজাতি-লক্ষণবোৰৰহে ওচৰ চপা। খুব সম্ভৱ, প্রব্রজনৰ বাটত এওঁলোকৰ ঘাই সুতিটোৱে উত্তৰ ব্রহ্ম অঞ্চলত কেইটামান প্রজন্ম ধৰি থমকি ৰৈ অষ্ট্রো-এছীয় ভাষাৰ ঐতিহ্য সংগ্রহ কৰিছিল। সেই ঘাই সুতিটোৰ পৰাই অৰুণাচলৰ বাঞ্চু আৰু মেঘালয়ৰ খাচী জনগোষ্ঠী দুটা বিবর্তিত হৈ পৰিছিল।

অস্বীকাৰ কৰিবৰ উপায় নাই, খাচী আৰু বড়ো জনগোষ্ঠী দুটাৰ গাত এটা ক্ষীণ অষ্ট্রেলীয় চাটি নিশ্চয়কৈ আছে। হ'ব পাৰে, সেয়া মংগোলীয় প্রজাতি-চৰিত্রৰ ওপৰত অষ্ট্রেলীয় চৰিত্রৰ মাথোন কিছুমান উপকৰা চিটিকনি। এইষাৰ কথা বড়োসকলৰ ক্ষেত্রত অধিক পৰিমাণে প্রযোজ্য। খাচীসকলৰ ক্ষেত্রত এনেও হ'ব পাৰে যে, তেওঁলোকৰ মৌল প্রজাতিগত অধ্যঃক্রমণ অষ্ট্রেলীয়, আৰু অনা-অষ্ট্রেলীয় লক্ষণসমূহ কেৱল তাতে বিয়পি পৰা এটা মংগোলীয় প্রলেপ। যিয়েই কি নহওক, ভাষাৰ ক্ষেত্রত এই দুয়োটা জনগোষ্ঠীৰ দান-বৰঙণিক নেওচি অসমীয়া ভাষাৰ কথা ভাবিব নোৱাৰি। সর্বকালৰ শ্রেষ্ঠ অসমীয়া ভাষাতত্ত্ববিদ ডঃ কাকতিয়ে এইষাৰ কথাৰ সকলোখিনি তথ্য-পাতি সুন্দৰকৈ ফঁহিয়াই দেখুৱাইছে। অসমীয়া ভাষাৰ ব্যাকৰণগত প্রায় গোটেইটো গাঁথনি বড়ো ভাষাৰ পৰা অহা। 'আংনি আফা, নেনি নেফা, বেনি বেফা'ৰ বাক্যসাধন প্রক্রিয়াৰে যেনেকৈ বড়ো ভাষাটো বৈশিষ্ট্যপূর্ণ আৰু অন্যান্য আধুনিক ভাৰতীয় ভাষাসমূহৰ পৰা বেলেগসুৰীয়া, ঠিক তেনেকৈ 'মোৰ দেউতা, তোমাৰ দেউতাৰ, তেওঁৰ দেউতাক'ৰ বাক্যসাধন প্রক্রিয়াৰে অসমীয়া ভাষাটোও বৈশিষ্ট্যপূর্ণ আৰু অন্যান্য আধুনিক ভাৰতীয় ভাষাসমূহৰ

পৰা বেলেগ এটা ঠাঁচত গঢ় লৈ উঠা। মোৰ তুলনামূলক ভাষাতত্ত্বৰ সীমিত ধ্যান-ধাৰণাত এষাৰ কথা স্পষ্ট ঃ বড়ো ভাষাৰ পোনৰটো খোজেতে অসমীয়া ভাষাৰো পোনৰটো খোজ চিন-নিচিনকৈ মিহলি হৈ আছে; তাৰ পাচত দুয়োটা ভাষা দুটা পটিয়েদি ওচৰাওচৰিকৈ আহি আছে। এটা ভাষা আপোনাতে আপুনি সন্তুষ্ট হ'ল, পখিলাৰ সৌন্দৰ্যৰে একেটা ফুলৰ পাহিতে বহি ৰ'ল; আনটো ভাষাই মৌ-মাখিৰ দৰে ফুলে ফুলে পৰি মৌ চুহি আনি ভোগৰ মৌ-চাক গঢ়ি তুলিলে। এইখিনিতে মই সদায় সোঁৱৰা এষাৰ জীৱবিজ্ঞানৰ কথা বেলেগ এটা বতৰাৰে মনত পৰিছে। মৌ-জোলৰ একোটা টোপালত হেনো দুহেজাৰপাহ ফুলৰ পৰা গোটাই অন্য ফুলৰ ৰেণু গোট মাৰি মিঠা পনীয়া শিল হৈ থাকে। তেনেকুৱা এটা টোপালাকে লৈ সাহিত্যিৰথী বেজবৰুৱাই অসমৰ অমৰ সংগীত ৰচনা কৰি কৈছিল—অ' মোৰ সুৰীয়া মাত, অসমৰ সুৱদি মাত! এই 'সুৱদি মাত'টো সিজনাই মাথোন অমসীয়া বুলি কোৱা নাই, থানৱান হৈ থকা অসমৰ বুলিহে কৈছে। আৰু, সেইকাৰণেই এইখন চোতালৰ নাম অমসীয়া সাহিত্য সভা নহয়, অসম সাহিত্য সভা।

কথাৰ লাচতে কোনোবাখিনিতে ওলালোঁহি! আকৌ আগৰ কথালৈ উভতি যাওঁ। অসমীয়াৰ জাতি-গঠনত আৰু এটা প্ৰজাতীয় উপাদান আছে। তাৰ নাম য়ুৰোপীয় নৃতত্ত্ববিদসকলে থৈছে, ভূমধ্যসাগৰীয়। ড° বিৰজাশংকৰ গুহই তাৰ তিনিটা তৰপৰ কথা কৈছে ঃ প্ৰত্ন-ভূমধ্যসাগৰীয়, ভূমধ্যসাগৰীয় আৰু প্ৰাচ্য-ভূমধ্যসাগৰীয়। অন্যান্য ভাৰতীয় নৃতত্ত্ববিদসকলে তিনিওটাকে সামৰি আমাৰ চিনাকি নামটো থৈছে, দ্ৰাবিড়। প্ৰাচীন শাস্ত্ৰকাৰে থোৱা নামটো আছিল, কপিল। যিয়েই কি নহওক, এইটো প্ৰজাতিৰ আবয়বিক লক্ষণসমূহ হ'ল ঃ মুৰৰ গঢ় দীঘলীয়া, মুখখন অলপ জোঙামুৰীয়া, নাকটো জোঙাও নহয় চেপেটাও নহয়—মধ্যমীয়া, গাৰ ছালৰ ৰং পাতল মুগা-চানেকীয়া, ওখই-পাখই মজলীয়া আৰু গাৰ বান্ধটো অলপ সোলোক-ঢোলোক। এই ভূমধ্যসাগৰীয় মানুহৰ উপাদান অসমীয়াৰ প্ৰজাতি-বিন্যাসত বাৰুকৈয়ে ফটফটীয়া। ইতিহাসে যেনেকৈ তাৰ সাক্ষ্য সলসলীয়াকৈ দিয়ে, সাংস্কৃতিক জীৱনধাৰায়ো তেনেকৈ তাৰ প্ৰমাণ ফৰিংফুটাকৈ দিয়ে। নৃতত্ত্ববিদসকলে এইটো প্ৰজাতিৰ বৈশিষ্ট্যপূৰ্ণ লক্ষণবোৰ বিচাৰি পাইছে, আঙামী নগাসকলৰ মাজত। অসমৰ ভৈয়ামত কৈৱৰ্তসকল ভূমধ্যসাগৰীয় লক্ষণাক্ৰান্ত প্ৰথম মানুহমুঠিৰ বৈ যোৱা উত্তৰপুৰুষৰ যুগ-যুগান্তৰৰ ভগ্নাংশ বুলি কোৱাৰ যুক্তি যথেষ্ট গজ্‌গজীয়া। ঠিক সেইদৰে, কোচ আৰু কেওঁট জনগোষ্ঠী দুটা ভূমধ্যসাগৰীয় আৰু মংগোলীয় প্ৰজাতিৰ সংশ্লেষিত ৰূপ বুলি কোৱাৰ অৱকাশ প্ৰচুৰ। আকৌ, পূব-অসমৰ কোচ জনগোষ্ঠীটোৰ ওপৰত আলপাইন চাটি এটাও অনুভৱ কৰা যায়। আনহাতে, 'মানুহৰ চিকুণ' যুগী জনগোষ্ঠীটো বৈ যোৱা প্ৰায়-অষ্ট্ৰেলীয় আৰু ভূমধ্যসাগৰীয় প্ৰজাতিৰ মিহলি ৰংটোৰ সৈতে আলপাইনসুলভ ৰঙৰ মিলনেৰে এক অনিৰ্বচনীয় সংশ্লেষিত ৰূপ বুলি ক'বলৈ বিজ্ঞানসম্মত ধ্যান-ধাৰণাৰ চোতালখন যথেষ্ট বহল। এই সন্দৰ্ভত ফৰাচী নৃতত্ত্ববিদ প্ৰিৎসুলস্কিৰ এষাৰ কথা মনলৈ আছে ঃ "অষ্ট্ৰেলীয়সকলৰ দেহৰ ৰং হালধিৰে ধোৱা মুগা চাটৰ; আচাৰ-আচৰণ কবিত্বপূৰ্ণ, কল্পনাপ্ৰৱণ আৰু ইন্দ্ৰিয়াসক্ত।" তাৰে শেষৰ লক্ষণটোৰ শেষ মূর্ছনাটোৰ 'মানুহৰ চিকুণ' ৰূপত প্ৰতিফলিত। আকৌ, ইয়াৰে পটভূমিত বিশ্লেষণ কৰি চালে ওলাই পৰে, এইমুঠি অসমীয়া মানুহৰ একাংশৰ মাজত প্ৰবলৰূপে প্ৰচলিত মনসাৰ পূজা দক্ষিণ ভাৰতৰ 'মনসা অম্মা'ৰ স্পষ্ট প্ৰতিধ্বনি।

অসমীয়া মানুহৰ প্ৰজাতি-বিন্যাসত আলপাইন চাটি এটা ধুনীয়াকৈ অনুভূত হয়। হৰ্নেল প্ৰমুখে এদল ভাষাবিজ্ঞানীয়ে থিৰাং কৰিছে, ভাৰতলৈ আৰ্যসকলৰ আগমন দুটা বেলেগ প্ৰবাহৰ ৰূপত ঘটিছিল। তাৰে প্ৰথমটো প্ৰবাহ প্ৰা. ঋ-বৈদিক কালৰ। এই প্ৰবাহটো একেটা সময়ৰে অলপীয়াকৈ আগে-পাচে উত্তৰ-পূব আৰু উত্তৰ-পশ্চিমৰ দুখন দুৱাৰেদি ভাৰতলৈ সোমাই আহিছিল। ভাষাৰ ধ্বনিগত বৈশিষ্ট্যত উষ্ম বৰ্ণকেইটাৰ 'ম' উচ্চাৰণ এইটো প্ৰবাহৰে বৈ যোৱা সাঁচ। সেয়েহে, অসমীয়া ভাষাৰ 'শাক' আৰু ডোগ্ৰী ভাষাৰ 'শাগ' একেবিধ খোৱা বস্তু। দুয়োটা অঞ্চলতে প্ৰচলিত সংস্কৃতত স-জাত বিসৰ্গৰ উচ্চাৰণ গংগা উপত্যকাত প্ৰচলিত সংস্কৃতৰ দৰে স্ৱৰান্ত ৰূপৰ নহয়, ৰবং পৰিপূৰ্ণ হসন্ত ৰূপৰ। আজিকালি 'আকাশবাণী'ৰ সৌজন্যত লাহে লাহে অসমীয়া পুৰোহিতৰ জিভাতো স্ৱৰান্ত বিসৰ্গৰ (যেনে ঃ নমহ..নমঃ) উচ্চাৰণে বাহ লৈছেহি। কোনটো শুদ্ধ মই নেজানো। কিন্তু এইষাৰ কথা জানো, মন্ত্ৰ উচ্চাৰণত ছন্দৰ মাত্ৰা-পৰিস্ফোটনৰ প্ৰশ্ন এটা নুঠাকৈ নেথাকে। মাত্ৰাৰ সংজ্ঞাটো সংস্কৃত ছান্দাসিকে এইদৰে বান্ধিছে "কালেন যাৱতা পাণিঃ পৰ্যেতি জানুমণ্ডলে সা মাত্ৰা।" অৰ্থাৎ আঠুত হাতখন লগাবলৈ লাগিলে, ছন্দই কষ্ট পায়। যি কি নহওক, প্ৰশ্নটোৰ শুদ্ধ সিদ্ধান্ত মুকুন্দমাধৱ শৰ্মাদেৱৰ দৰে পণ্ডিতসকলৰ পৰা আশা কৰিলোঁ। কাৰণ, এই

ভাষাবিজ্ঞানৰ প্ৰশ্নটোৰ লগত নৃতত্ত্বৰ আচল প্ৰশ্নটোৰ উত্তৰ জড়িত হৈ আছে।

আৰু এষাৰ কথা। আৱয়বিক লক্ষণৰ ভিত্তিত প্ৰাচীন প্ৰাগজ্যোতিষৰ ৰজা নৰকাসুৰে আলপাইন প্ৰজাতিৰ লোকাধিপতি আছিল বুলি অনুমান কৰাৰ ভেটিটো শকত। তেওঁৰ আৰু তেওঁৰ পৰৱৰ্তী নৃপতিমণ্ডলী হটকাসুৰ, ঘটকাসুৰ, সম্বৰাসুৰ প্ৰভৃতিৰ 'অসুৰ' উপাধিটো নিশ্চয়কৈ নঞৰ্থক নাছিল। ৰৰং, জৰথুস্ত্ৰসকলৰ দেৱৰো দেৱতা 'অসুৰমজাদা'ৰ লেখীয়াকৈ ইতিবাচক আৰু স্বৰ্গদেৱসূচকহে আছিল। 'অ' উপসৰ্গটো প্ৰাক্-বৈদিক ভাষাত নঞৰ্থক মুঠেই নহয়। পাণিনিৰ ব্যাকৰণৰ সূত্ৰেৰে আলপাইনসকলৰ প্ৰাক্-বৈদিক সংস্কৃতৰ গঢ়-গতি নিৰ্ণয় কৰিব নোৱাৰি। 'অ' বুলিলেই 'ন' নহয়, ঠিক যেনেকৈ 'মহা' বুলিলেই 'বিশাল' নহয়। মহাসাগৰৰ পৰা মহাপণ্ডিতলৈ যিমান দূৰৰ বাট, অশ্লীলৰ পৰা অসুৰলৈয়ো সিমান দূৰৰে বাট। এইবোৰ দূৰণিবটীয়া তথ্যৰ ভিত্তিত এষাৰ কথা কোৱাৰ থল আছে, অসমীয়া ভাষাৰ গাঁথনিত আলপাইনসকলৰ প্ৰাক্-বৈদিক সংস্কৃতৰ ৰঙেৰে বোলোৱা দুতাৰ-এতাৰ নপকোৱা সূতাৰ ৰাণি সঁচাসঁচিকৈয়ে আছে। আনহাতে, অসমীয়া মানুহৰ গাঁথনিতো পূৰ্ব-ভাৰতৰ অনা-মংগোলীয় ঘূৰণীয়া মূৰ আৰু জোঙা নাকৰ লক্ষণবিশিষ্ট জনগোষ্ঠীৰ নাটনি সঁচাসঁচিকৈয়ে নাই।

অসমত ককেছীয়া প্ৰজাতিৰ আবিৰ্ভাৱ ভাৰতৰ অন্যান্য অংশৰ তুলনাত আটাইতকৈ শেহতীয়া। অৱশ্যে ইদু আৰু গালং জনগোষ্ঠীৰ মাজত এইটো প্ৰজাতি-লক্ষণৰ অস্তিত্বই ককেছীয়সকলৰ দুচাম-এচাম মানুহে উত্তৰ-পূৰ্ব দুৱাৰেদি দূৰ অতীততো ভূমুকিয়াই যোৱাৰ সম্ভাৱনা এটা অস্বীকাৰ কৰিব নোৱাৰি। যি কি নহওক, এই ককেছীয়সকলৰ ধ্যান-ধাৰণাৰে বহু-পৰিচিত আৰ্য সংস্কৃতিটো সমৃদ্ধ। এওঁলোকৰ আৱয়বিক লক্ষণবোৰ এনেকুৱা : জোঙা নাক, ভূমিসমান্তৰাল চকু, বগা ৰঙৰ ছাল, স্পষ্ট মুখমণ্ডল আৰু দৃঢ়-পিনদ্ধ ওখ দেহাৱয়ব। অসমত এওঁলোক গংগা উপত্যকাৰ পৰা বৈ অহা লোকৰহে উত্তৰপুৰুষ-পূৰৱ কোনোখন দুৱাৰেদি সোমাই অহা লোক নহয়। অকল সেয়ে নহয়, অসমৰ মাটিত তেওঁলোকৰ দ্বাৰা উচ্চাৰিত সংস্কৃত ধ্বনিবোৰৰ ওপৰতো আলপাইন প্ৰজাতিসুলভ প্ৰাক্-বৈদিক সংস্কৃতৰ ৰহণ লাগিছে। তাকে লৈ গংগা উপত্যকাৰ আৰ্যসন্তানসকলৰ তিৰ্যক ভ্ৰূকুঞ্চনবোৰ শেষ নাই। সেইসকলে শ্লোক বান্ধি অসমীয়া পুৰোহিতক উপহাস কৰাৰ প্ৰয়াস পায় :

আশীৰ্বাদং ন গৃহ্নীয়াৎ পূৰ্বদেশবাসিনঃ।
শতায়ুৰিতি ৱক্তব্যে হতায়ুৰিতি কথ্যতে।।

দোষটো অমসীয়া পুৰোহিতৰ জিভাৰ নহয়, গংগা উপত্যকাৰ শুনোতাসকলৰহে গধুৰ কাণৰ। আলপাইন 'স'টোত অনভ্যস্ত সেইসকলে 'হ' বুলি শুনে।

অসমলৈ ককেছীয় প্ৰজাতিৰ তাকৰীয়া প্ৰবাহৰ আগে-পিচে যিটো প্ৰজাতিৰ ভিতৰুৱা কেইবাটাও জনগোষ্ঠীৰ দল আহিছিল, তাৰে উমৈহতীয়া নামটো হ'ল— মংগোলীয়। এওঁলোকৰ আৱয়বিক লক্ষণবোৰ হ'ল : 'গাৰ ছালৰ হালধীয়া ৰং, দাঢ়ি-গোঁফৰ পাতলীয়া সিচন, চুলিৰ ঠৰঙা আৰু খহটা ধৰণ, চকুৰ পাহিৰ হেলনীয়া ৰূপ আৰু চুকৰ পতাৰ ভিতৰলৈ সোমাই পৰা একোটা মোকোটনি। ড° চট্টোপাধ্যায়ে এইটো প্ৰজাতিকে 'মহাভাৰত'ত বৰ্ণিত কিৰাত বুলি চিনাক্ত কৰি থৈ গৈছে। সিগৰাকীৰ মতে, কৌৰৱ-পক্ষীয় ৰজা ভগদত্ত নিশ্চয়কৈ এইটো প্ৰজাতিৰে এজন নৰপতি আছিল। মহাকাব্যখনত সিজনাৰ সৈন্যবাহিনী 'সোণৱৰণীয়া কিৰাত' বুলি উল্লেখিত হৈছে। আকৌ, 'দ্ৰোণপৰ্ব'ত তেওঁৰ বিষয়ে এটা তাৎপৰ্যপূৰ্ণ বৰ্ণনা আছে। তেওঁৰ ওলমি পৰা চকুৰ পতাই যাতে চকুৰ দৃষ্টিক আঁৰ কৰি ধৰিব নোৱাৰে, সেইবাবে তেওঁ কলাপখন মেৰিয়াই এডাল পটি বান্ধি থৈছিল। তেওঁক নিধন কৰিবৰ সময়ত তেওঁৰ প্ৰতিযোদ্ধা সব্যসাচীয়ে কাঁড়ৰ আগৰ চোকেৰে সেই পটিডাল কাটি লৈছিল।

অসমৰ বড়ো জনগোষ্ঠীটো এইটো প্ৰজাতিৰেই প্ৰব্ৰজনকাৰীসকলৰ প্ৰথম নহ'লেও অন্ততঃ দ্বিতীয়টো তৰংগৰ পৰা উৎক্ষিপ্ত পূৰ্বপুৰুষৰ নাতিবো নাতিসকলৰ অনেক তৰপৰ পৰিনাতি-পৰিনাতিনী। সিজু গছক পৱিত্ৰ বুলি বিবেচনা কৰা আদিম ধৰ্মীয় বিশ্বাস এইটো প্ৰজাতিৰেই সাংস্কৃতিক লক্ষণ। প্ৰায়-অষ্ট্ৰেলীয়সকলৰ পাচত অসমলৈ তেওঁলোকৰে আগমন ঘটিছিল বুলি ঠাৱৰাবৰ অৱকাশ প্ৰচুৰ। হয়তো তাৰে এটা টো তাৰো আগতে আহিছিল; আৰু হয়তো পাচত অহা প্ৰায়-অষ্ট্ৰেলীয়সকলৰ হেঁচা সহিব নোৱাৰি তেওঁলোক ওচৰৰ পাহাৰবোৰলৈ আঁতৰি গৈছিল। পাচৰ টো কেইটাৰ গোষ্ঠীগত অভিব্যক্তিবোৰ হ'ল : পশ্চিম অসমৰ বড়ো আৰু বাভাসকল; মধ্য-অসমৰ কাৰ্বি আৰু তিৱাসকল; পূৰ্ব-অসমৰ মিচিং আৰু সোণোৱাল কছাৰীসকল; আৰু দক্ষিণ-অসমৰ ডিমাছাসকল। উত্তৰ-পূৰ অসমৰ মৰাণ আৰু চুতীয়াসকল খুব সম্ভৱ প্ৰথমটো তৰংগৰ প্ৰব্ৰজনকাৰী দল

ভটিয়াই অহাৰ বাটত দলৰ লগ হেৰুওৱা লোকসমষ্টিৰ উত্তৰাপুৰুষ।

সময়-ৰেখাৰ ভটিয়াই আহি লগ পাওঁ, আহোমসকলক—যাৰ নামেৰে ধন্য হ'ল এইখন দেশৰ ওচৰ-অতীতৰ নাম; আৰু তাৰে আঁত ধৰি এই দেশৰ বহুখণ্ডী মানুহৰ উমৈহতীয়া নাম; ৰজাঘৰীয়া ডা-ডাঙৰীয়াৰ পৰা আৰু গুৰুঘৰীয়া গোঁসাই-মহন্তৰ পৰা ৰাইজৰ পথাৰৰ কাঁড়ী-পাইকলৈকে-সকলোৰে মনৰ সেতু হৈ উঠা ভাষাটোৰ নাম। এওঁলোকে অসমৰ মাটিত সাত ৰাজ মাৰি এক ৰাজ থাপিলে, বাৰ কোঠা মাৰি একে কোঠাকৈ গঢ়িলে। ছিগা শিকলিৰ খাৰু হৈ থানবান্‌কৈ থকা অনেক মাতৰ জিল্‌মিলীয়া মণিবোৰ বুটলি বুটলি আনি একেটি ভাষাৰ সাতসৰীধাৰ গাঁথি উলিয়ালে। সেইটো ভাষা, যিটো ভাষা প্ৰত্যেক অসমবাসীৰে হয় খাচ মাতৃভাষা, নহয় আপোনা-আপুনি জিভাত ধৰা দিয়া ধাত্ৰী ভাষা।

ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে ভটিয়াই আহি থাকিলে, আহোমৰ পাচত লগ পাওঁ আৰু কেইটামান মংগোলীয় প্ৰজাতিৰ জনগোষ্ঠীক-খাম্‌তি, ফাকিয়াল আৰু আইতনীয়াসকলক। আৱয়বিক লক্ষণৰ অলপীয়া বঢ়া-টুটা থাকিলেও, মংগোলীয় প্ৰজাতিৰ অন্তৰ্ভুক্ত প্ৰত্যেকটো জনগোষ্ঠীয়েই সাংস্কৃতিক বৈশিষ্ট্যৰ ক্ষেত্ৰত দুটা বিশিষ্ট লক্ষণৰ ব্যত্যয়হীন সাদৃশ্য প্ৰদৰ্শন কৰে। এটা হ'ল এওঁলোকৰ প্ৰত্যেকেই বাঁহগাজ-বেতগাজৰ লেখীয়া কোমল আঁহীয়া বস্তু খাবলৈ ভাল পায়। প্ৰসিদ্ধ চৈনিক লেখক লিল য়ু-তাঙে লিখিছে, মংগোলীয় প্ৰজাতিৰ বাবে খোৱা-বোৱাৰ জুতিটো দাঁতত লগা মিঠা অমুৰি এটাত! নক'লেও হ'ব, এয়া ভাৰতৰ অন্যান্য অঞ্চলৰ 'চোবাই খোৱা, চুঁহি খোৱা, চেলেকি খোৱা আৰু গিলি থোৱা' চাৰিটা ভিন ধৰণৰ খাদ্যবস্তুৰ এটাও নহয়। এয়া একেটাতে চাৰিওটাৰ জুতি ল'ব পৰা খাদ্যবস্তু! আনটো লক্ষণ হ'ল, মংগোলীয় প্ৰজাতিৰ তিৰোতাসকলে তিনিখনীয়া কাপোৰ পিন্ধে। চকু দিলেই কথাষাৰ ওলাই পৰিব। ৰাভাসকলৰ তিৰোতাৰ মাজত তিনিখন কাপোৰ-কাম্বাং, খদাবাং আৰু ৰিফান; কাৰ্বিসকলৰ তিৰোতাৰ সাজতো সেই একে তিনিখন কাপোৰ-পিনি, জিচ' আৰু ৰিলিথ', ডিমাচাসকলৰ তিৰোতাই পিন্ধে একে ধৰণেৰে তিনিখন 'ৰি', মানে কাপোৰ—ৰিগু, ৰিখাওছা আৰু ৰিজাংফাই; এগে' আৰু চেক— ৰেক্‌ নহ'লেৰা চেকবুং। চেকৰেক্‌ নে চেকবুং পিন্ধিছে, তাকে চাই ক'ব পাৰি—তিৰোতাগৰাকীৰ গাত বিয়াৰ হালধি সনা হ'ল নে নাই; তাৰ উমান ল'বলৈ শিৰৰ সেন্দুৰ চাবৰ প্ৰয়োজন নাই। মংগোলীয় প্ৰজাতিৰ সকলোবোৰ জনগোষ্ঠীৰ তিনিখনীয়া কাপোৰৰে উমৈহতীয়া অসমীয়া নামকেইটা হ'লগৈ— ৰিহা, মেখেলা আৰু চাদৰ। আমাৰ মহাপুৰুষে 'হৰমোহন'ত বৰ্ণাই থৈ যোৱা 'পিন্ধি শাৰী খোন্টা জালি' মোহিনী ৰূপ ধৰা সুন্দৰীগৰাকী বৃন্দাবনৰ ফালৰ পৰা অহা, অসমৰ মাটিত উপজি আমোলমোলাই উঠা ৰূপহীগৰাকী নহয়। পুৰুষৰ সাজপাৰ পখৰা-চিতৰা। কাৰণ, পুৰুষৰ জীৱনবোধ দৰাচলতে সদায় সলনিৰ সুঁতিত গা ধুই ফুৰা বিধৰ।

সানমিহলিৰ পানীযুঁৰলিতে গঢ় লৈ উঠিছে, অসমীয়াৰ জাতীয় সংস্কৃতি। বুৰঞ্জীৰ দীঘল বাটত প্ৰত্যেকটো প্ৰব্ৰজনকাৰী প্ৰজাতিয়ে বিশুদ্ধ স্বতন্ত্ৰীয়া লক্ষণ আৰু জীৱনধাৰাৰ আৰ্হি আদান-প্ৰদানৰ সুবগা মিহলাই সোণতকৈয়ো চৰা জোনোৱালী কৰি তুলিছে। অসমীয়াৰ অন্য কোনো দ্বিতীয় পৰিচয় নাই। মুকলিকৈয়ে মই এষাৰ কথা কৈ থ'ব খুজিছোঁ। কোনোবাই যদি কাৰোবাক সোধে, 'তুমি অসমীয়া নে বড়ো?'—তেতিয়া তেওঁ মাথোন আপোন মুঢ়াতাৰেই পৰিচয় দিয়ে। তেওঁ বৰং এনেকৈ সোধাটোৰেই সমীচিন হ'লহেঁতেন, 'তুমি বাৰু মোৰ দৰে গহৰা-গজা নে বড়ো?' নিজকে যিজনে চিনি নেপায়, আনৰ চিনাকি সোধাৰ অধিকাৰ তেওঁৰ নাই। প্ৰত্যেকজন অসমীয়া বৰ্ণহিন্দুৰ তেজৰ টোপালত আছে, অসমীয়া বড়ো তেজৰ কণিকা—হ'ব পাৰে, তাৰ পৰিমাণ কম অথবা বেচি। প্ৰত্যেকজন অসমীয়া ৰাভা, অসমীয়া মিচিং, অসমীয়া কাৰ্বি মূলতঃ একোগৰাকী লাঞ্ছিত অসমীয়া। সময়ৰ খট্‌খটিয়েদি নামি আহোঁতে প্ৰত্যেকৰে তেজৰ প্ৰবাহে সহযাত্ৰী বহুতৰে তেজৰ কণিকা সংগ্ৰহ কৰিছে। কোনোবাই যদি বাট হেৰুৱাই ক'ৰবাত থমকি ৰৈ গৈছে, ভুলতে পঞ্চম হৈ যোৱা লাঞ্ছনাৰ প্ৰত্যুত্তৰ দিবলৈ অভিযান কৰি নিজকে অসমীয়া নহয় বুলি ক'ব খুজিছে, তেনেহ'লে তেওঁ পৃথিবীৰ আটাইতকৈ মূল্যৱান সাতসৰীধাৰৰ সুলকি পৰা মণি হৈ জীয়াই থাকিবলৈ বিচাৰিছে। ভৱিষ্য-ইতিহাসৰ দীঘল বাটত এদিন তেওঁ বিপন্ন হৈ পৰিব।

মোৰ ভিতৰত থকা সামাজিক মানুহটোৰ গুৰু অধ্যক্ষ হেম বৰুৱাই সিজনাৰ এখন ইংৰাজী পুথিৰ নাম থৈছিল, 'বড়া নদী নীলা পাহাৰ'। অসমৰ নৈয়ে কথা কয়। দিহং এখন নৈৰ নাম। অষ্ট্রো-এছীয় ভাষাগোষ্ঠীৰ লোকে পানীক 'হং' বুলি কয়, আৰু তাৰে বোৱতী ৰূপটোক বড়ো ভাষাত 'দি' বুলি কয়। একোষিনি পানীৰ ধাৰেই দুয়োটা ভাষাৰ খৰ সোঁত লৈ হৈ পৰিল দিহং—

যেনিবা আজিকালিৰ 'কামিজ চোলা'। ঠিক সেইদৰে, বড়ো ভাষাত 'তি' বুলিলে নৈ বুজায়; আৰু টাই-আহোম ভাষাত 'নাম' বুলিলে একেদৰে নৈকে বুজায়। একেটা বোৱতী সুঁতিয়ে আজি নিজৰ নামটো ঘোষণা কৰিছে, নামতি নৈ। 'নামতি'টোৱেই যথেষ্ট হৈছেগৈ—যেনিবা লে'চ্-ফিটা, অথবা পাম্প-শু জোতা। তাতে আকৌ নৈ। নক'লেও হয়, 'নৈ' শব্দটো সংস্কৃতৰ 'নদী' শব্দৰ 'দ'টো সুলকি হোৱা তদ্ভৱ ৰূপ। এইখন যেন নৈ আৰু নৈ-উদ্ভেদী বানপানীৰ নৈ। অসমীয়া ভাষাটোও তেনেকৈয়ে অনেক ভাষাৰ পানীৰ টোপাল লৈ উদ্ভেদীকৈ বৈ আছে, অসমীয়া জাতিটো নমৰালেকে বৈ থাকিবি।

অসমৰ নৈয়ে যিদৰে কথা কয়, অসমৰ পাহাৰবোৰেও তেনেকৈ বিভিয়াবলৈ নেপাহৰে। একেটা নীলাচল। মহাশিল্পী বিষ্ণুৰাভাই কৈ থৈ গৈছে, তাত থকা গোঁসানীগৰাকী বড়োসকলৰ খেৰাই পূজাৰ বেদীত থকা কাম-ক্ষী। আনপিনে খাচী পণ্ডিত হেমিল্টন বাৱে'ৰ মতে, ইগৰাকী হ'ল খাচীসকলৰ আৰাধ্যা গোঁসানী কা-মেই-খা অর্থাৎ বুঢ়ী আইতা। এনেকৈয়ে ইয়াৰ পাহাৰবোৰত লুকাই আছে ভাষা-বুৰঞ্জীৰ বহুতো বিশাল অজগৰ। সিবিলাকৰ ওচৰ চাপোঁতে মাখোন হাতত কপি-দা লৈ এনেয়ে জোকাবলৈ যাব নেলাগে। দুখৰ কথা, বর্তমান কালত আমাৰ বহুতো ভাষাবিজ্ঞানীয়ে আজি ইখন ঠাইৰ কাইলৈ সিখন ঠাইৰ শব্দসম্ভাৰক অনাহকতে জোকাই-মেলি, ক'ৰ নোৱাৰাকৈয়ে অসমীয়াক ধনবান্ কৰিব খোজা নিজৰ পেটত নিজেই খোচ মাৰি ভাল পোৱা ৰাজনীত পথাৰৰ খেলুৰে কিছুমানৰ হাতত যাঠি-জোঙৰ যোগান ধৰিছে। সেইসকল ভাষা বিজ্ঞানৰ গৱেষকক মই এষাৰ কথা সোঁৱৰাই দিব খুজিছোঁ, বিজ্ঞান বোলা বস্তুটো জ্ঞান-সাধনাৰ এটা উপায়হে—নিজেই উপেয় নহয়। বিজ্ঞানে যেতিয়া সামাজিক কল্যাণবুদ্ধি হেৰুৱাই পেলায়, তেতিয়া বৈজ্ঞানিক গৱেষণা উপায়ৰ নামান্তৰ হৈ পৰে। আজি বোলে কামৰূপী ভাষাটো অসমীয়া ভাষাৰ পৰা বেলেগ, কাইলৈ বোলে ৰৰপেটীয়া ভাষাটো কামৰূপী ভাষাৰ পৰা বেলেগ, পৰহিলৈ বোলে সুন্দৰী-দিয়াৰ ভাষাটো ৰৰপেটীয়া ভাষাৰ পৰা বেলেগ! এইবোৰ টুলুঙা কাৰবাৰক গৱেষণা নোবোলে। কোনোবাই বিচাৰি উলিয়াবগৈ পাৰে, অসমীয়া বহু বচনৰ পৰসর্গ প্রতিখন ঠাইতে বেলেগ একেটা শব্দ, 'ককায়েকহঁত সেয়ে গৌৰীসাগৰত', 'ককায়েকহঁতে নিতাইপুখুৰীত', 'ককায়েক ভোৱ' ৰৰপেটাত 'দাইদ্যাক আহোন্ত' টিহুত 'দাদ্যাকহানা', পাতিদৰঙত 'দাদ্যাকহামৰা', পলাশবাৰীত 'দাদ্যাকঠেত', বিলাসীপাৰাত 'দাদাকগুলা', ইত্যাদি বহুত কিবাকিবি। শব্দৰ ভঁৰাললৈ চালেও সেইদৰে জানিবা, একেটা বস্তুৰেই যোৰহাটত 'পঁইতাচোৰা', জয়পুৰত 'নিমচাক্' আৰু নলবাৰীত 'তেলপোকা'। সেইবুলিয়েই এইবোৰ প্রত্যেকটোৱেই বেলেগ একোটা ভাষা হৈ পৰিল নে? ভাষাবিজ্ঞানৰ পোহৰত প্রত্যেকটোৱেই বেলেগ একোটা ভাষা হৈ পৰিল নে? ভাষাবিজ্ঞানৰ পোহৰত অসমীয়া ভাষাৰ সম্পর্কে গৱেষণা কৰিবলৈ বিষয়ৰ নাটনি পৰা নাই। সামাজিক শুভবুদ্ধিৰহে নাটনি পৰিছে।

এইখিনিতে মোৰ মনত পৰিছে, এডগাৰ চাৰ্ল নামৰ এগৰাকী পক্ষীতত্ত্ববিদৰ দুষাৰমান কথা। তেওঁ লিখিছে, কুলি চৰায়ে অকল কাউৰীৰ বাহতে কণী নেপাৰে। টোকোৰা চৰাইৰ বাহতো কুলি চৰায়ে কণী পাৰে; আৰু কণী পাৰে মইনা চৰাইৰ বাহত, বালিমাহী চৰাইৰ বাহত, ঢেৰ কিবাকিবি চৰাইৰ বাহত। নক'লেও হয়, সিবিলাকৰ আচল কণীবোৰ ভিন ভিন ৰঙৰ আৰু ভিন ভিন গঢ়ৰ। তাৰ মাজৰে কুলি চৰায়ে ছেগ বুজি আচল কণীৰ লগত একোটাকৈ নিজৰ কণী সলাই থৈ যায়হি। ভবিষ্যত গৱেষণাৰ প্রশ্নবোৰ হ'ল এনেকুৱা: গঢ়টো বেলেগ হ'লেও নকল কণীটোৰ ৰং বাকীবোৰ কণীৰ নিচিনা একে ধৰণৰ কেনেকুৱাকৈ হয়? সেই ৰংটো কুলি চৰাইজনীয়ে কেতিয়া নিজৰ কণীটোত সানি দিয়ে—গর্ভতে নে, কণীৰ বাহত? টোকোৰা চৰাইৰ বাহত নিজৰ কণীটো ঠোটেৰে কঢ়িয়াই নি থৈ আহে নে, সময়ৰ মূৰকত ভিতৰলৈ কেনেবাকৈ সোমাই লৈ তাতেই পাৰি থৈ আহে? ইবিলাকৰ সন্ধান দিবলৈ গৈ, বহুতো পক্ষীতত্ত্ববিদে কুলি চৰাইবোৰৰ ভিন ভিন জাতি নির্ণয় কৰিছে—মইনা-চানেকীয়া কুলি, বালিমাহী-চানেকীয়া কুলি, কেতেকী-চানেকীয়া কুলি ইত্যাদি। চাৰ্লে লিখিছে, এইটো বৈজ্ঞানিক অন্বেষণৰ ধৰণ মুঠেই নহয়। মৌলিক প্রশ্নবোৰৰ উত্তৰ বিচাৰাটোহে গৱেষণা। ভাষাবিজ্ঞানীৰ কাৰণেও এইষাৰ কথা সমানে সঁচা। ড° কাকতিৰ গৱেষণা-গ্রন্থখনৰ যুগমীয়া মূল্য সেইখিনিতে। তেখেতে সন্ধান দি গ'ল, অসমীয়া ভাষাৰ মৌ-চাকটো কেনেকৈ গঢ় লৈ উঠিল; তাৰ ধ্বনি আৰু ৰূপত ক'ৰ বোল কিমানখিনি লাগিল, কোনটো প্রজাতীয় ভাষাৰ কেইটা শব্দৰ কণী কেনেকৈ সোমাল; সিবোৰৰ সন্ধান দিবলৈ গৈ সিগৰাকীয়ে অসমীয়াক ফালি ফালি ভিন ভিন সজাত সুমুৱাবলৈ চেষ্টা নকৰিলে।

অসমীয়া জাতিটো যেনেকৈ সানমিহলিৰ পানীযুঁৰলিত গঢ় লৈ উঠিছে, তাৰ ভাষাটোও তেনেকৈও সাতোটা পিয়লাৰ ৰং

একেটা পিয়লাতে মিহলি হৈ গঢ় লৈ উঠিছে। আগতে কৈছোঁ 'স'-কেইটাৰ উচ্চাৰণ বৈশিষ্ট্যৰ কথা। তাতে যোগ হ'ল, মিচিং আৰু আহোমৰ জিভাত টিংটিঙনিৰে ৰংচঙীয়াকৈ ফুটা আৰু এটা বেলেগ ধ্বনিৰ উচ্চাৰণ। সেয়া হ'ল, স্বান্ত 'ঙ' ধ্বনিৰ উচ্চাৰণ। ভাৰতবৰ্ষৰ অন্য কোনোটো ভাষাতে এই উচ্চাৰণটো নাই—আখৰটো আছে, আৰু আছে তাৰ হসন্ত ৰূপটো। সেইকাৰণেই, তেওঁলোকে 'অংক', 'গংগা' আদি উচ্চাৰণ কৰিব পাৰে; কিন্তু 'আঙঠি', 'গঙাচিলনী' আদি তেওঁলোকৰ ডিঙিৰ পৰা উজাৰ খাই নোলায়। অসমীয়া সাঁচিপতীয়া পুথিত পোনপ্রথমে সেই অকলশৰীয়া 'ঙ' আখৰটো 'হস্তীবিদ্যার্ণৱ'খনতে পাওঁ। আখৰটোৰ গড়গঞা-কাইথেলী মিহলি পাগুৰীটো পিন্ধাইছিল, দিলবৰ আৰু দোসায়ে।

দিলিবৰ-দোসাইৰ কথা ওলাওঁতেই আৰু এঘাৰ কথা মনত পৰিল। অসমৰ মাটিত পোনতে ভৰি দিবৰ সময়ত, আহোম স্বৰ্গদেউ চুকাফা আৰু তেওঁৰ লগৰীয়াসকলে লগত কোনো তিৰোতা লৈ অহা নাছিল। ঠিক তেনেকৈ ইয়াৰ মাটিত ঠন ধৰি উঠা ইছলামৰ বার্তাবাহী আজান চাহেব, হজৰত খোন্দকাৰ, হজৰত চালেহ আৰু হজৰত চাৰল চাহেব- এই সকলেও লগত একোজাক মুছলমান ভকত লৈ অহা নাছিল। ইয়াতে তেওঁলোকে জীৱন-কালতে বিচাৰি পাইছিল হকিকত আৰু ছৰিয়তৰ তলা-নলা ধৰিব পৰা হেজাৰ-বিচাৰ মুৰিদ। এইসকলৰ বহুতেই আছিল মিৰজুমলাৰ লগত আহি অসমক ভাল পাই অসমতে ৰৈ যোৱা মোগল সৈন্যবোৰৰ নাতি-পুতি। মুনিয়া দেৱানে ৰচনা কৰা শ্বাহ মীৰাণ ওৰফে আজান ফকীৰৰ চৰিত গীতত স্বৰ্গদেৱৰ ওচৰত টুটকীয়া কথা লগোৱা দুটা মানুহৰ অপুদঘতীয়া নাম পোৱা যায়। এটাৰ নামটো হ'ল, ৰূপাই গৰীয়া; আনটোৰ নাম ফতুলা। এই দুটা নামে অনেক কথাৰ সন্ধেদ দিয়ে। বহুতে ভবাৰ দৰে 'গৰীয়া' শব্দটো 'গৌড়ীয়' শব্দৰ পৰা অহা নহয়। খুব সম্ভৱ, দৰাচলতে ই আৰবী শব্দ 'গ্যায়েৰীয়া'-ৰহে মৈয়াই সমান কৰা অসমীয়া ৰূপ, ঠিক যেনেকৈ ফতুলা বোলা মানুহটোৰ আচল নাম ফতেহ-উল্লাটো মৈয়াই সমান কৰা খাটি অসমীয়া নাম। আৰবী শব্দ 'গ্যায়েৰীয়া'ৰ আভিধানিক অর্থ হ'ল—দূৰৰ মানুহ। মিচিং ভাষাৰ 'মিপাক্' শব্দটোৰ লেখীয়া আপোন মানুহৰ খেলৰ বাহিৰৰ মানুহ। সময়ত এই দূৰৰ মানুহ বুকুৰ কুটুম হৈ পৰিল। তেওঁলোকৰ মাজৰ গেৰেলা গৰীয়া অসম বুৰঞ্জীৰ এটা প্রসিদ্ধ শৰাইঘাটৰ যুঁজত তেওঁ সাজি দিয়া ৰৰতোপেৰে অসমে মোগলক ভেটি অক্ষয় কীর্তি ৰচনা কৰিলে। তেওঁলোকৰ মাজৰ দিলবৰ আৰু দোসায়ে হাতী-পুথিৰ ছবিৰোৰ আঁকি অসমীয়া চিত্রক'লাৰ অমৰ ঐতিহ্য ৰচনা কৰিলে। অসমীয়াৰ জাতিগত বান্ধোনটো ঘাইকৈ ভাষা আৰু তেজৰ টোপালৰ। সেইবাবে ভাৰতৰ অন্যবোৰ অঞ্চলৰ দৰে ধর্মৰ ভিন্নতাই কোনো অসমীয়াৰ মাজত কেতিয়াও আতাৰি কৰা নাই—আৰু কোনোকালে নকৰেও।

অসমৰ চামুৰাই-জীৱনবোধেৰে উদ্বুদ্ধ শিখসকলৰ ইতিহাসো সমানে ঐতিহ্যপূর্ণ। অসমৰ ৰাজভগনৰ দিনত সহায়ৰ হাত লৈ উজাই আহিছিল, কাপ্তান ৰেলচৰ লগত শিখ সৈন্যবাহিনী। স্বৰ্গদেউক আকৌ সিংহাসনত থাপি তেওঁলোক উলটি গ'ল, থাকিল কেইজমান গা-ৰখীয়া। স্বৰ্গদেৱেই নহয়, ডা-ডাঙৰীয়াসকলেও তেওঁলোকৰ অপূর্ব শৃংখলাবোধ নশলাগি নোৱাৰিলে। ছেগ পালেই গা-ৰখীয়াসকলৰ অঙহী-বঙহীক মাতি আনি ইজনে-সিজনে নিজৰ গা-ৰখীয়া নিয়োগ কৰিলে। এনেকৈয়ে বাৰজান শিখ ৰাজকোঁৱৰ অসমত বহিলহি। অসমীয়া শিকি নিজকে তেওঁলোকে অসমীয়া মাত-কথাৰে চিনাকি দিবলৈ ল'লে, ৰজাপোৱালি। গুৰুমুখী ভাষাৰ সিং উপাধিটো সলনি হৈ হ'ল, চিং। স্বৰ্গদেৱে ইসকলক ঠায়ে ঠায়ে একোখন ৰাজখোৱা বিষয় দি থাপিলে। ৰৰকোলা, ডিমৰুৱা আৰু গোভাৰ এই চিং সকলেই অসমৰ ৰজাদিনীয়া শিখ। তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে গুৰুমুখী শিকে, ঠিক যেনেকৈ অসমীয়া হিন্দুৰ ল'ৰা-ছোৱালীয়ে সংস্কৃত শিকে, ঠিক যেনেকৈ অসমীয়া মুছলমানৰ ল'ৰা-ছোৱালীয়ে আৰবী শিকে। তেওঁলোকৰ নাতি-পুতিয়ে ধুবুৰীত সাজি ল'লে, অসমৰ প্রথম গুৰুদ্বাৰ, য'ত স্বয়ং গুৰু নানকে ভৰিৰ ধূলি দিছিলহি। হিন্দু হওক, মুছলমান হওক, শিখ হওক, কোনো অসমীয়াই তীর্থস্থান বিচাৰি দূৰলৈ নগ'লেও হয়। ৰৰপেটা কীর্তন-ঘৰতে আছে কাশীৰ পুণ্য, হাজোৰ পোৱা-মক্কাতে আছে হজ কৰি খোদাৰ বহম আৰু বখ্‌চিছ আদায় কৰাৰ সুযোগ, ধুবুৰীৰ গুৰুদ্বাৰতে আছে স্বর্গমন্দিৰৰ ভোগ গ্রহণৰ সুবিধা।

এইখনেই অসম। দুখীয়া কাঁড়ী-পাইকৰ দেশ চহকী অসম। ইয়াত সকলো মানুহেই জোখত মাখোন এপোৱা। চাৰিটা মানুহ গোট খালেহে একোটা গোটপাইক। পৃথিৱীৰ ক'তো নাই মানুহৰ এইটো জোখ। অকলশৰীয়াকৈ কোনেও একো ঐহিক অথবা পাৰত্রিক কর্ম সম্পাদন কৰিব নোৱাৰে। আকৌ, ভাৰতবর্ষৰ ভিতৰত এইখনেই এচমকা ঠাই, য'ত হিন্দুৰ ল'ৰা-

ছোৱালীও উজনিত ৰৱা-শইকীয়া-হাজৰিকা আৰু নামনিত সৰকাৰ, মুছলমান ল'ৰা-ছোৱালীও তেনেদৰে উজনিত ৰৱা-শইকীয়া-হাজৰিকা আৰু নামনিত সৰকাৰ, য'ত ব্ৰাহ্মণৰ ল'ৰা-ছোৱালীও ফুকন-ৰৱৱা, আহোমৰ ল'ৰা-ছোৱালীও ফুকন-ৰৱৱা; য'ত পূজাৰীৰ পো-পোৱালিও শৰ্মা, নাপিতৰ পো-পোৱালিও শৰ্মা; য'ত ক্ষত্ৰিয়-দ্বিবেদী-ত্ৰিবেদী-চতুৰ্বেদীওৰ লেখীয়া উপাধিৰ দেওধনি নাচ নাই। সকলো সমান অসমীয়াৰ অসম এইখন।

বৃটিছ যুগৰ কথাও অকণমান চুই নগ'লে মোক দোষে চুব। সেই যুগত অহা নতুন মানুহখিনিৰ কথা বিহুনামৰ বলিয়া সুৰৰ ফাকে ফাকে খাঁজি থোৱা আছে। এটা বিহুনামত আছে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ পূৰ্বপুৰুষৰ কথা। তাহানি গহপুৰ ফালে চলন্তি আছিল, এই গীতটোৰ ঃ

উত্তৰে সোমালে অঁকাকৈ ডফলা
দক্ষিণে সোমালে মান;
গমিৰি ঘাটেদি নৱং কেঞা সোমালে
ৰইখা পাবলৈ টান।

নামঘাৰ শুনিলে ধাৰণা ওপজে, নৱৰংগ কেড্ডীয়াৰ মাতটোত বাৰুকৈয়ে নাকৰ উজান এটা আছিল। তাৰে গইনা লৈ কেড্ডীয়া .... কেঁড়িয়া ... কেঞা হ'লগৈ-অসমীয়া ভাষাত এটা নতুন আলহী শব্দ।

তাৰ পাচত, আৰকাটিয়াৰ ফুচুলনিত পৰি আহিল চাহ-বনুৱা হৈ ঝুমুৰৰ সুৰটো মাথোন বুকুত লৈ আৰু এচাম মানুহ, যিবোৰৰ বিমিশ্ৰ পূৰ্বপুৰুষৰ পৰিচয় হ'ল—কোল, মাৰিয়া, মুৰিয়া, ওৰাওঁ, কালিন্দী ইত্যাদি। ইসকলক অসমীয়া সমাজলৈ সুৱাগুৰি তোলা নামটো থোৱা হৈছে—চাহ মজদুৰ। মোৰ কিন্তু নামটো অপচন্দ। সদায় জানো এওঁলোকৰ নাতি-পুতিলৈকে মজুৰ হৈয়েই থাকিব? হজুৰ জানো কোনোকালেই নহ'ব? এনেকুৱা নামবোৰ অসমীয়া সংস্কৃতিৰ প্ৰাণধাৰাটোৰ লগত খাপ নেখায়। মই এওলোকলৈ নাম এটা বৈ থৈছিলোঁ—চাহপতীয়া। এওঁলোকৰ গাৱ ৰং চাহপাতৰ দৰেই সেউজমিহলি মদৱৱা—সেইকাৰণেই। তাহানি গড়মূৰ সত্ৰৰ পীতাম্বৰ দেৱগোস্বামী প্ৰভুৱে মহাপুৰুষ শংকৰদেৱৰ আপুৰুগীয়া সুৰটো ইসকলৰ মুখত দি ইসকলকো খাচ অসমীয়া কৰি লৈছিল। আমাৰ বোধেৰে, অসমীয়া জাতিটোক গঢ়ি তুলিবলৈ হ'লে তাৰ ছন্দপতন ঘটিবলৈ দিব নেলাগিব। ডিব্ৰুগড় জিলাৰ সীমা-মুৰিয়লিৰ ৰাজগড় অঞ্চলত এনে কামৰ সৎ কীৰ্তি মই নিজৰ চকুৰে দেখিছোঁ। আগবে এওঁলোকৰ জিভাত ওড়িয়া বৈষ্ণৱ কবি সৰল দাসৰ কীৰ্তন শুনা গৈছিল ঃ

কালিন্দী হ্ৰদৰে পশন্তি বনমালী
শ্ৰীপদে দংশিলাক কালী।
বিষয় জ্বালাৰে হৃদয় জলৰে
শ্ৰীকৃষ্ণ পড়িলেক ঢলি।।

এতিয়া তাৰ সলনি শুনিবলৈ পোৱা যায়, চাহপতীয়াৰ ঘৰে ঘৰে তেওঁলোকে চাপৰি বাই কীৰ্তনৰ পদ আওৰাইছে ঃ

আনন্দে জলক ফুৰা আস্ফালি।
মৰ্মস্থলে আসি দংশিলা কালী।।
নজানি তোমাৰ বল প্ৰভাৱ।
লাঞ্জে মেৰাইলেক সমস্ত গাৱ।।
বিষ লাগি তুমি থাকিলা ঘুমি।
মনুষ্য চেষ্টাক দেখায় তুমি।।
দেখি শিশুসৱ মৰিল প্ৰায়।
ধেনুগণে আউৰ তৃণ নখায়।।

যদিও তেওঁলোকৰ বহুতৰ কাৰণে এতিয়াও অসমীয়া মাথোন তোলনীয় ভাষা হৈয়েই আছে, আন বহুতেই অসমীয়াক মাতৃভাষা কৰি তালৈ এটা নতুন সুৰ কঢ়িয়াই আনিছে। সেই অমাতৰ মাত শুনিবলৈ পাওঁ, সনন্ত তাঁতীৰ কবিতাত, সমীৰ

তাঁতীৰ কবিতাত।

তাৰ পাচত, গোৱালপাৰা আৰু নগাঁৱৰ আশে-পাশে থকা ঠাইবোৰ যেতিয়া খালে-ডোঙে ভৰি জলাহ হৈ আছিল, তেতিয়া মাটিত ভৰি দিছিলহি আৰু এচাম নতুন মানুহে। পানীত বুৰ মাৰি কঠিয়া কই আঘোণত গেঁৰ ধৰা সোণালী ধানৰ ডাঙৰি চপাই আনি তেওঁলোকে নিজেও জানিলে আনকো জনালে, অসম সঁচাসঁচিকৈয়ে সুজলা সুফলা দেশ! জমিদাৰৰ অত্যাচাৰত দেশ এৰি গুচি অহা এই মানুহমুঠিক কোনো কোনোৱে 'ন অসমীয়া' আখ্যা দিছে। মই কিন্তু 'ন বিশেষণটো আঁৰি দুটা বস্তু যেনে তেনে জোৰা দি থোৱাৰ পক্ষপাতী নহওঁ। নাট্যকাৰৰ সন্ধানত ছ'টা চৰিত্ৰ ওলাই যোৱাৰ দৰে এওঁলোকৰ নাম এটাৰ সন্ধানত চিৰকালৰ অসমীয়া ওলাই যাব নোৱাৰি জানো? কাৰণ, সেই জোৰা-ফন্দা দিয়া বিশেষণটোৱে সময়ে-অসময়ে খেলিমেলিৰ সৃষ্টি কৰে। তেওঁলোক জীৱনে-মৰণে অসমীয়া হৈ গ'ল। তেওঁলোকে অসমলৈ বৈ আনিছে, এক নতুন 'তমদ্দুন'ৰ ভাব। মোৰ মনত পৰিছে, পঞ্চাছৰ দশকত শেষৰ ফালে এই নতুন 'তমদ্দুন'ৰ ভাৰবাহী সমাজৰ দুজন ল'ৰাই—এজন মানকাচাৰৰ, আনজন ধুবুৰীৰ—ঔপৰাওপৰিকৈ তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয়ে চলোৱা প্ৰৱেশিকা পৰীক্ষাত আৰু ইণ্টাৰমিডিয়েট পৰীক্ষাত অসমীয়া বিষয়ৰ কাকতত সৰ্বোচ্চ নম্বৰ পাইছিল। তাৰে এজন তৰুণ লেখকসকলৰ ভিতৰত ভাল অসমীয়া গদ্যশৈলীৰ বাবে সুখ্যাত ইমদাদুল্লাহ। তেওঁৰ জীৱনতে 'তমদ্দুন'ৰ সুন্দৰ প্ৰতিফলন' দেখিবলৈ পাওঁ। 'তমদ্দুন'ৰ উপৰুৱা অৰ্থটো হ'ল নাগৰিকতা,—যাৰ লগত নগৰ-মদিনাৰ এটা সম্পৰ্ক আছে; গভীৰতৰ অৰ্থটো হ'ল অধ্যৱসায়যুক্ত কৃষ্টি, মৰুভূমিক নগৰ কৰাৰ বাবে প্ৰয়োজনীয়া সাধনাযুক্ত সংস্কৃতি।

ইসকলৰ আগে-পাচে আৰু এচাম মানুহ আহি অসমীয়াৰ লগত মিলি-জুলি তেওঁলোকৰ পূৰ্ব-পৰিচয় মচি পেলালে। তেওঁলোকৰ উপৰুৱা নামটো নেপালী। শদিয়া-ছৈখোৱাৰ পৰা আৰম্ভ কৰি বিহালী-গহপুৰলৈকে চাপৰিয়ে চাপৰিয়ে এওঁলোকে খোপনি লৈছিল। এওঁলোকৰ বহুতেই মাতৃভাষা নেপালী পাহৰি গ'ল, নিজকে অসমীয়া বুলি চিনাকি দিব পৰা হ'ল, দিয়া-নিয়া কৰি বিয়া-বাৰুৰ বান্ধোনেৰে অসমীয়া হৈ গ'ল। এনেকৈয়ে অদূৰ-অতীতৰ ইতিহাসৰ বাটি খচকিও অসমীয়াই জাতীয় জীৱনৰ ছন্দপতন ঘটিবলৈ দিয়া নাই। যুগান্তৰৰ অসমীয়া সমকালৰ অসমীয়া হৈ নতুন তেজেৰে যৌৱনদীপ্ত হৈছে আৰু সেইদৰেই হ'ব পাৰিছে, সৰ্বকালৰ অসমীয়া সংশ্লেষিত সংস্কৃতিৰ সোণালী কাৰেঙৰ অধিবাসী। চান্দসাঁয়ে হেনো মহাপুৰুষক হঠাতে এদিন দৰ্জী বুলি সম্বোধন কৰিছিল। বাকীসকল হৰিভকতে তাতে দায় ধৰিছিল। চান্দসাঁয়ে দায় গুচাইছিল, "কিয়, তেৰাই জানো সকলোৰে সী পেলাই একেটা চোলাকৈ দিয়া নাই?" উত্তৰটো বিচাৰি দূৰলৈ যাব নেলাগে। মহাপুৰুষে মহাভাগৱতৰ দ্বিতীয় স্কন্ধৰ শ্লোকটো অসমীয়ালৈ এইদৰে ভাঙিছিল :

কিৰাত কঙ্কাৰী খাসি গাৰো মিৰি
যৱন কংক গোৱাল।
অসম মলুক ৰজক তুৰুক
কুৰাচ ম্লেচ চণ্ডাল।।

দেশখনৰ স্বাৰ্থত তথাপি এষাৰ কথা মানি ল'বই লাগিব। অসম কোনোকালেই পৃথিৱীৰ যতমানে পেলনীয়া মানুহৰ জাৱৰ পেলোৱা বাটৰ কাষৰ বগীতামৰ ঢোল নাছিল। ভৱিষ্যতলৈয়ো দেশখনক তেনেকুৱা কিবা এটা হ'বলৈ অসমীয়াই এৰি নিদিয়ে। কাৰোবাৰ মাত-কথা একে হ'ল কাৰণেই ভাৰতীয় গণৰাজ্যৰ সীমাৰ বাহিৰৰ কোনোবাজন থাউকতে আহি অসমীয়া যে হ'ব নোৱাৰেই, ভাৰতীয়ও হ'বহি নোৱাৰে। কাৰোবাৰ ঈশ্বৰলৈ মুৰ দোঁওৱাৰ ৰীতিটো একে হোৱা কাৰণেও ভাৰতীয় গণৰাজ্যৰ চাৰিও দেৱালৰ সিপাৰৰ কোনোবাজন থিতাপিহে অসমীয়া হৈ পৰিব নোৱাৰে, ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ ভাৰত গণৰাজ্যৰ নাগৰিক হৈ পৰিবহি নোৱাৰে। সিৰোৱৰ প্ৰতি অসমীয়াৰ মনোভংগীটো চিৰকাল এনেকুৱা হৈৰেই ৰ'ব : অন্যায়লৈ নগা-ৰাঠি, ন্যায়লৈ ৰাঙলী শৰাই। দুদিনলৈ আলহী হৈ আহি গোঁজ পুতি বস্ত্ৰলেপ হৈ পৰা আৰু চুকতে থাকি বুকতে কামোৰ মাৰিব খোজাটোকেই অন্যায় বুলি কোৱা হয়। ন্যায় বোলা বস্তুটো তেওঁলোকতেই বৰ্তে, যিসকল মান্য ভাৰতীয়ই আৰু হৈ যোৱা অসমীয়াই অনন্তকালৰ অসমীয়াৰ উমৈহতীয়া স্বাৰ্থক নেওচা দি মাথোন থাউকতে বুৰবুৰণি তোলা পুৰণি মিতিৰৰ এঠা বিচাৰি নুফুৰে। কোন ক'ৰবাৰ জেঠায়েকজনী উৰি আহি জুৰি বহিৰ খুজিলেই ন্যায়ত থাকোঁতাজনে ততালিকে তাইক চিনি পায়।

আইৰ বায়েক তাই
ধিতাইৰ মাকৰ সতিনীয়েকৰ
মিতিনীয়েকৰ জা'ক;
সম্বন্ধত একোটাকৈ নাই
লেখেৰি নিছিগা চাই।

যিসকলে ৰে'লৰ চুবুৰীতো বাসকৰি, চৰ অঞ্চলত খেতি-খোলা তৰি আৰু চাপৰিত ম'হ-খুটি পাতি অসমৰ ভাগ্যৰ লগত আপোন ভাগ্যৰ লগুণ-গাঁঠি জুৰি লৈছে, তেওঁলোকে নিশ্চয় যাৰে-তাৰে লগত গাৰু সলাই শুবলৈ নিবিচাৰে।

তেওঁলোক হাড়ে-হিমজুৰে অসমৰ তোলনীয়া বাঙালী, সিসকলে গান্ধীজীৰ সেই কথাষাৰ সৰ্বান্তঃকৰণে মানি লৈছে, "মই এজন গুজৰাটী। মই যদি বংগদেশত থাকিবলৈ লওঁ, তাৰ ভাল বস্তুখিনি কণাই-কণাই গ্ৰহণ কৰিম; বেয়াখিনি ভুলতো নোচোওঁ।" মুখৰ কথা, আমি তেনেকুৱা কেইগৰাকীমান মহৎ হৃদয়ৰ অসমত থকা বাঙালী বৰ্তমান কালতে পাইছোঁ। এজন অসমীয়া মাধ্যমত প্ৰস্তুত কৰা প্ৰথমখন গৱেষণা-গ্ৰন্থ লিখি বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ মহলাত অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰিলে। ১৯৮৫ চনৰ ৬ মাৰ্চ তাৰিখটো অসমীয়া ভাষাৰ ইতিহাস সোণোৱালী আখৰেৰে লিখা থাকিব। কাৰণ, সেই তাৰিখটোতে ডঁ মণীন্দ্ৰ চন্দ্ৰ নামৰ এই বাংলা সাহিত্যৰ অধ্যাপকজনে অসমীয়া ভাষা-সাহিত্যলৈ শিখৰলোকৰ মৰ্যাদা আনি দিলে। আন এগৰাকী বঙালী পৰিসংখ্যা বিজ্ঞানৰ অধ্যাপক ডঁ নীহাৰৰঞ্জন মজুমদাৰে সিজনাৰ পৰিমাণগত ভাষাতত্ত্ব পোহৰত অসমীয়া সাহিত্যৰ সংখ্যাতাত্ত্বিক অধ্যয়নৰ গৱেষণা-গ্ৰন্থ যুগুতাই প্ৰথমজনৰ দৰেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি লাভ কৰিছে ১৯৮৬ চনৰ ৩ ডিচেম্বৰ তাৰিখে। তেওঁ সংখ্যাতাত্ত্বিক বিশ্লেষণেৰে প্ৰমাণ কৰিছে, মহাপুৰুষ মাধৱদেৱৰ নামত প্ৰচলিত 'কোটোৰাখেলোৱা'খন সিজনাৰ দ্বাৰাই ৰচিত হোৱাৰ সম্ভাৱনা অনস্বীকাৰ্য আৰু 'ৰাস-ঝুমুৰা'খন সিজনাৰ দ্বাৰা ৰচিত নিশ্চয়কৈ নহয়। উল্লেখযোগ্য, সন্দেহজনক পুথিৰ আচল লেখক থিৰাং কৰা এনে বিষয়ৰ গৱেষণা গ্ৰন্থ ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয়সমূহত এইখন দ্বিতীয়। এই দুজন বাঙালী অধ্যাপকৰ অনলস সাধনা আৰু উদাৰমনা অসমীয়া সাহিত্যৰ অধ্যয়ন প্ৰশংসা কৰিবলৈ ভাষাৰ নাটনি। এই সময়ছোৱাতে আৰু দুজন বাঙালী অধ্যাপকে উত্তৰ-বংগ বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত বাংলা আৰু ইংৰাজী মাধ্যমত অসমীয়া উপন্যাস আৰু অসমীয়া কবিতাত প্ৰতীকবাদ সম্পৰ্কে দুখন গৱেষণা-গ্ৰন্থ দাখিল কৰি ডক্টৰেট উপাধি লাভ কৰিলে। তেওঁলোক হ'ল, ক্ৰমে ডঁ দেৱৰঞ্জন ধৰ আৰু ডঃ ৰথীন সৰকাৰ। অসমীয়া সাহিত্য সম্পৰ্কে প্ৰকাশ কৰা দুয়োজনৰে অতি উচ্চ ধাৰণা প্ৰণিধানযোগ্য। এই আটাইকেইজন অতি মহৎ হৃদয়ৰ লোক—হৃদয়ৰ চকুত ক'তো অকণো মলি নাই। এইসকল সঁচাসঁচিকৈয়ে বিশ্বসাহিত্যৰ পাঠক-নাগৰিক। এইসকলৰ কামে অসমবাসী বাঙালী আৰু অসমীয়াৰ মাজত স্থায়ী মিলনৰ সেতু ৰচনা কৰি দিছে। অসম সাহিত্য সভাৰ আজিৰ অধিবেশনত সমৱেত লক্ষ লক্ষ মানুহে তেওঁলোকক প্ৰাণভৰি আশীৰ্বাদ দিছে, তেওঁলোকৰ এই সামাজিক শুভবুদ্ধিৰ তীৰ্থযাত্ৰা পৰিপূৰ্ণৰূপে ফলৱতী হওক।

এতিয়া মই অসমীয়া ভাষাৰ চোতালত পৰা ছোঁ-পোহৰৰ অলপ আলেখ-লেখ ল'ৰ খুজিছোঁ। মই মাত্ৰ ভাষাটোৰ প্ৰায়োগিক দিশৰ কথা ক'ম। লগতে মোৰ সীমিত জ্ঞানেৰে ভাষাটোৰ আইনগত মৰ্যাদা আৰু সিৰোৱৰ উপৰ্যুপৰি স্খলনৰ কলংক-কাহিনীও অলপীয়াকৈ চুই যাম।

প্ৰথম কথা হ'ল, আমাৰ অহৈতুক পৰাসক্তিৰ ফলস্বৰূপে অসমীয়া ভাষাই তাৰ আপোন কালিকা-শক্তি হেৰুৱাই পেলাবলৈ লৈছে। গ্ৰীয়াৰ্ছনে দিয়া তাহানিখনৰ অসমীয়া ভাষাৰ শব্দসম্ভাৰ সম্পৰ্কীয় বিশ্লেষণত আজিকালিৰ অসমীয়া ভাষাৰ প্ৰতিচ্ছবি পাবলৈ নাই। ব'ত অসমীয়া প্ৰতিশব্দ উদ্ভেদী হৈ আছে, ত'ত বাৰু বঙলুৱা শব্দ প্ৰয়োগ কৰি ভাষাক বিজতীয়া কৰাৰ কি যুক্তি আছে? আজিকালি 'তদানীন্তন', 'প্ৰয়াত' আদি শব্দৰ উৎপাতত অসমীয়ায়েই অসমীয়া বুজিব নোৱৰা হৈ আহিছে। 'তেতিয়াৰ কালৰ', 'স্বৰ্গীয়' আদি শব্দবোৰে কি জগৰ লগালে? নে অসমীয়া মানুহ মৰিলে আজিকালি স্বৰ্গলৈ নেযায়েই, মাথোন নৰকলৈহে যায়? বাতৰি কাকত এৰি কবিতা পঢ়িবলৈ ল'লে, বাৰে বাৰে উজুটি খাব লাগে, 'গধূলি' শব্দটোৰ সলনি 'গোধূলি' শব্দটোত। প্ৰথমটো শব্দ অসমীয়া ভাষাৰ তোলনীয়া তদ্ভৱ শব্দ; দ্বিতীয়টো শব্দ জাতে-পাতে বাংলা তদ্ভৱ শব্দ। দুয়োটা শব্দ সংস্কৃতৰ 'গোধূলিকা' শব্দৰ পৰা অহা। অসমীয়াৰ 'গধূলি' শব্দটো বাংলা 'গোধূলি' শব্দৰ তুলত আলহী খাই ধূলি

উৰুৱাই অহা নহয়। সেই শব্দটো বিশ্বকবি ৰবীন্দ্রনাথে বাংলা ভাষাৰ পাটত সংস্কৃতৰ পৰাই তুলিছিল। ভাষাতত্ত্বৰ নিজা নিজা নিয়মেৰে সি দুয়োটা ভাষাত ভিন সাজ পিন্ধি আলহী খালেহি। বাংলা ভাষাৰ ঘৰৰ আলহীক সুৱাগুৰি তুলি আনি অসমীয়া ভাষাৰ ঘৰত ওফৰা-জেং গোটোৱাৰ অর্থ বিচাৰি নেপাওঁ। বিশ্বকবি ৰবীন্দ্রনাথে ভাল পাইছিল কাৰণেই যদি 'গোধূলি'টো 'গধূলি'তকৈ বেচি কবিতাময় হৈ পৰে বুলি ভবাৰ থল আছে, তেনেহ'লে দেখোন ৰবীন্দ্রনাথ মানুহজনকেই অসমীয়া বুলি ভবাৰ বেচি থল আছে। সিজনাৰ একাদশ পূর্বপুৰুষজন দেখোন অসমীয়াৰ অতি আদৰৰ পুৰুষোত্তম বিদ্যাবাগীশগৰাকীয়েই আছিল যিজন অসমীয়া 'ৰামায়ণ' ৰচোঁতা মাধৱ কন্দলিৰ এগৰাকী বংশধৰ, যিজনে নিজে কোচবিহাৰৰ নৰনাৰায়ণ মহাৰাজৰ ৰাজসভাৰ ছাঁ পাই 'প্রয়োগৰত্নমালা' ব্যাকৰণখন লেখি উলিয়াইছিল, সিখন পুথিৰ শ শ নকল অসমৰ গাঁৱে-ভূঁয়ে আটাইতকৈ অধিক পৰিমাণে সাঁচিপতীয়া পুথিৰ ৰূপত পোৱা যায়; আৰু সেই সাঁচিপতীয়া পুথিবোৰৰ আখৰ পেপেট কটা 'ৰ'-ৰে সৈতে অসমীয়া লিপিৰ বামুণীয়া শৈলীৰ! আকৌ, ক'ৰ লাগিব নেকি, অসমীয়া পণ্ডিতে যেতিয়া সংস্কৃতৰ চর্চা বিদ্যাবাগীশৰ ৰীতিৰেহে কৰিছিল, বংগদেশত তেতিয়া বোপদেবৰ ৰীতিৰেহে বাঙালী পণ্ডিতে সংস্কৃতৰ চর্চা কৰিছিল বুলি? আচল কথা হ'ল, লোকৰ কাণৰ-ডিণ্ডিৰ ইটো-সিটো থপিয়াই ফুৰিবলৈ ল'লে ৰূপহীৰ ভাগ্যতো চুৰুণীৰ অপযশহে হয়গৈ।

আনহাতে, তৎসম শব্দক তদ্ভৱ শব্দৰ সাজ পিন্ধাওঁতেও কিছুমান কথাত সতর্ক হোৱাৰ প্রয়োজন। সন্ধ্যা নামে, গধূলি হয়, পুৰিবলৈ নিলে যিটো বস্তু শ হৈ থাকে, দাহ কৰিবলৈ ল'লেই সি শৱ হৈ পৰে। গা ধুবলৈ গ'লে যেনে তেনে গঙাতো জোবোৱা মাৰি আহিব পাৰি; কিন্তু স্নান কৰি পুণ্য অর্জন কৰিবলৈ গ'লে মাথোন গংগাতহে সেই কাম সমাপন কৰিব পাৰি। ঠিক সেইদৰে, বাদ্য বজালে সি মংগলবাদ্য হয়, উৰুলি দিলে সি মঙল উৰুলি হৈ পৰে। বিশেষ্য আৰু বিশেষণৰ মাজত গুনঠি-খান্দৰিৰ সম্পর্কটো গঢ় লৈ উঠাতেই ভাষাৰ কালিকা প্রকাশ পায়। এইবোৰকে ভাষাৰ শৈলী বোলে। আজিকালি আকৌ সভাই-সমিতিয়ে 'বক্তব্য ৰখা'ৰ ধৰণ এটা ওলাইছে। অসমীয়াই আজিকালি বক্তব্য জনোৱাৰ ঠেওটো পাহৰি গৈছে, অকল সেয়ে নহয়, আমাৰ কাকতে-পত্রে কিয় জানো আজিকালি বহুদিনৰ আগতে মীমাংসা হৈ যোৱা পুৰণি ভুলবোৰে উক্ দি উঠা দেখা যায়। এখনত এদিন চকুত পৰিছিল, 'অসমীয়াৰ অধোগতি'! সত্যনাথ বৰাই জানো শুধৰাই দি থৈ যোৱা নাছিল, তললৈ ওপৰ-'লে নামিব নোৱাৰিব বুলি? হ'ব লাগে, 'অধোগতি' নাইবা সিজনাই নিজে ব্যৱহাৰ নকৰা 'অৱনিত'।

দুখৰ কথা, সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ'খনতো স্থূল হস্তাৱলেপ নপৰাকৈ থকা নাই, ঠিক যিটো ঘটনা ঘটিবলৈ পাইছিল 'হেমকোষ'ৰ ক্ষেত্রত। সত্যনাথ বৰাই নির্দেশ দি গৈছিল 'বহল ব্যাকৰণ'ৰ পাতত : আ-কাৰান্ত প্রথম বর্ণৰ আগত নঞ-তৎপুৰুষৰ 'ন' বহিলে, সি আ-কাৰান্ত আৰু এ-কাৰান্ত দুয়োটাই হয়। যেনে : নালাগে আৰু নেলাগে। প্রথমতে কোনোবাই শুধৰাই লিখিলে, মাথোন আ-কাৰান্ত হয়। তাৰ পাচত, কোনোবাই চপাই-কোঁচাই বিতং নিয়মবোৰ শুচালে যে শুচালেই, আনকি নঞ-তৎপুৰুষ সমাসৰ 'তৎপুৰুষ' শব্দটোকে মচি থ'লে। গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতিয়ে যুগুতাই উলিওৱা 'অসমীয়া আখৰ-জোঁটনি'খনৰ ১০ পৃষ্ঠাত থকা (ঘ) সূত্রটোত এই ভুলৰ মেৰামতি কৰা হ'ল : নালাগে-নেলাগে দুয়োটাই শুদ্ধ : কিন্তু বর্তমানে নালাগেটোহে ৰখা হ'ল। এয়া বহুতে ভবাৰ দৰে, উজনি-নামনিৰ কথিত ভাষাৰ পার্থক্য নহয়, উত্ত-মর্ণ-অধমর্ণ বাচ-বিচাৰৰো প্রশ্ন নহয়—কোমলতা আৰু কঠিনতাৰহে প্রশ্ন। উচাট্ মাৰি দিলে 'নালাগে' হয়, হাতজোৰকৈ প্রত্যাখ্যান কৰিলে 'নেলাগে' হয়। কোমলে-কঠিনে মিলিহে একোটা ভাষা।

আৰু এষাৰ কথা। আজিকালি উর্ধকমা আৰু চন্দ্রবিন্দুৰ প্রয়োগত বাৰুকৈয়ে খেলিমেলি লাগিছে। য'ত অর্থাৎ যি ঠাইত বুলি ক'লে উর্ধকমা লাগে; কিন্তু যত অর্থাৎ যিমানখিনি বুলি ক'লে উর্ধকমা নেলাগে। উর্ধকমাযুক্ত আখৰৰ ৰৱনিমূলাৰ খেলিমেলি লগাই কোনোবাই 'বহল ব্যাকৰণ'ত শুধৰাইছে : কলা-কলী। কলা হ'লে স্ত্রীলিংগত কালৰী হয়। দৰাচলতে, মূল তাণ্ডৱণত শুদ্ধকৈ আছিল : ক'লা-ক'লী। উর্ধকমাৰ কালিকা সেইখিনিতে। নিত্য বর্তমান কালত ১ম পুৰুষৰ ক্রিয়াৰূপত চন্দ্রবিন্দু বহে; সম্ভ্রমার্থক অনুজ্ঞাত কিন্তু চন্দ্রবিন্দু নবহে। যেনে : চাওঁ আৰু চাওক, যাওঁ আৰু যাওক। ক্রিয়া পদবোৰৰ বাচনিও আজিকালি আঁৰ থকা হৈ পৰিছে। ৰান্ধনিয়ে চকত ভাত বনাব নোৱাৰে। চিলনীয়েহে আকাশত বনাব পাৰে। আকৌ, কেতিয়াৰ বেজৰ নাকতো খৰে খাৰলৈ লৈছে। অসমীয়া ভাষাটো সংস্কৃতৰ দৰে পৰসর্গ পৰিপুষ্ট নহয়; ই সন্ধিসিদ্ধ আৰু সমাবদ্ধ শব্দৰ দীঘলীয়া মালগাড়ী টানি চহকী হোৱা নাই। ভাষাটো পণ্ডিতৰ নহয় জনগণৰহে। কিছুমান শব্দৰ লগত সাক্ষাৎ ঘটিলে পাণ্ডিত্যৰ

উমান পাওঁ, কিন্তু ভাষাই আপোন বৈশিষ্ট্যৰ পঘা ছিণ্ডি কোনোবাখিনি পোৱাগৈ। দেখোঁ। শব্দবোৰ এনেকুৱা : পইতাচুৰুণীবিলাকৰপৰা, দৰাঘৰীয়া কেইজনমানৰদ্বাৰাই। অসমীয়া ভাষাত কৰণ কাৰকত ৩য়া বিভক্তি আৰু আপয়দান কাৰকত ৫মী বিভক্তি দুটাৰ 'দ্বাৰা' আৰু 'পৰা' অংশ দুটা শব্দ বিভক্তিৰ ভিতৰুৱা পৰসৰ্গ নহয়; সম্বন্ধ পদৰ ভিতৰুৱা পৰসৰ্গৰ পাচত সুকীয়াকৈ খাজি দিয়া দুটা অপৰিৱৰ্তনীয় আৰু স্বতন্ত্ৰৰীয়া অব্যয় শব্দহে। তাকে নকৰি মালগাড়ীৰ ডবা জোৰা দি গৈ থাকিলে শব্দবোৰৰ উচ্চাৰণক 'শিয়ালী পালেগৈ ৰতনপুৰ'ত থকা কবিতাটোৰ নিচিনাকৈ দুৰবস্থাৰ পৰদ্বাই পাই এনেকুৱা কোনোবাখিনিত উলিয়াবগৈ : ৰ'দে-ৰবষুণে খৰাশিয়ালৰ বিয়া।

আৰু এটা সমস্যা আছে। সমস্যাটো পৰিভাষাসম্পৰ্কীয়। এই বিষয়ত দুয়োখন বিশ্ববিদ্যালয়ে আৰু বাজ্যিক চৰকাৰৰ ৰাজনৈতিক বিভাগে ভালেমান শলাগিবলগীয়া কাম কৰিছে। কিন্তু পৰিভাষা-কোষৰ প্ৰতিশব্দবোৰ জোঁটাই ইংৰাজী বাক্য ভাঙি উলিয়াওঁতে এটা কিম্ভূতকিমাকাৰ অসমীয়া ভাষাই গঢ় লৈ উঠিছে। যেতিয়া কোনোবাই জাননী লিখে, 'অমুক সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাৰ দ্বাৰা নিবিদা গ্ৰহণৰ চূড়ান্ত দিনাংক', তেতিয়া সি আৰু ভাষা হৈ নাথাকে—পৰিভাষা হৈ হামথুৰি খাই পৰে। কোনো কোনোৱে পৰামৰ্শ দিয়ে : পাৰিভাষিক শব্দসমূহ কথিত ভাষাৰ পৰা বুটলিব লাগে। কথাষাৰ সমৰ্থন কৰোঁ। কিন্তু, তাতো সমস্যাৰ ওৰ নপৰে। ধৰা যাওক, আমাৰ গড়কাপ্টানী বিভাগে ব্যৱহাৰ কৰা ইংৰাজী 'ৰোলাৰ' শব্দটোৰ পৰিভাষিক শব্দকেইটাৰ কথা। কোনোবাই লিখিছে, 'হেঁচনি যন্ত্ৰ'; কোনোবাই আকৌ 'পিহনা যন্ত্ৰ'। এবাৰ এঠাইত এখন জাননী-ফলি দেখি থমকি ৰৈ গৈছিলোঁ; 'আগত গাহৰিৰ কাম চলি আছে'! আমাৰ গাঁৱে-ভূঁয়ে ধেমালিতে গাহৰিক 'ট্ৰেক্টৰ' বুলি কয়। যন্ত্ৰপাতিৰ ভু নোপোৱা মানুহৰ দৃষ্টিত 'ৰোলাৰ' আৰু 'ট্ৰেক্টৰ'ৰ মাজত কোনো প্ৰভেদ নাই। সেইকাৰণেই, ওলোটাই ভাঙোতে তাৰ চাৰিটা ঠেং গজিল! আটাইবোৰ শব্দ ভাঙি উলিয়াই ভাষা চহকী কৰিব নালাগে। ইংৰাজী ভাষাটো ইমান চহকী হৈ উঠাৰ মূলতে আছে এটা মুকলি মন। নেথাকিলে, তেওঁলোকে ততাতৈয়াকৈ আন ভাষাৰ শব্দ জাতত তুলি লয়। সৌ সিদিনা মাথোন ইংৰাজী অভিধানত দুটা নতুন শব্দ সোমাল : ঘেৰাও আৰু ধৰ্ণা। জ্যোতিষৰ জ্ঞান নথকাকৈয়ো ভৱিষ্যত-বাণী কৰি ক'ব পাৰোঁ, অহা বছৰৰ কোনোবাখন ইংৰাজী অভিধানত এই পাঞ্জাৰী শব্দটো সোমাবই : তান্ খাইয়া—মানে মাৰ ভাঙোতা, বিশ্বাসঘাতক। তাৰ পাচত, ইজ্‌ম-ইষ্টিক্ জুৰি শব্দটোক জাতত তুলি ল'ব। অসমীয়া ভাষাৰ ওজাসকলৰো এই মুকলি মনটো আছিল। কেলৈ,, মহাপুৰুষ মাধবদেৱে জানো লিখা নাছিল, 'ভয়ো ভাই সাৱধান। গোবিন্দৰ ফৰমান। নিকটে মিলয় জান।'—এনেকুৱাকৈ? কেলৈ, ইংৰাজ অহাৰ পাচত টিং দুটা জোঙা আৰু উঠঙা হৈ থকা দেখি তাক কোনোবা নিনাও অসমীয়া ভাষাৰ ওজাই 'পানচৈ' কৰি পেলোৱা নাই জানো? কোনো ক'ব সেইটো বস্তুৰ মূৰত অসমীয়া ঐ-কাৰৰ টিকনিডাল থাকিলেও, সি যে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ 'ম্লেচ' শব্দ! 'ৰোলাৰ' বস্তুটো ৰোলাৰেই; 'টেণ্ডাৰ' টেণ্ডাৰেই। কিছুমান শব্দ ভাঙি উলিয়ালত নিশ্চয় ভাল হৈছে। লাট-বৰলাটৰ দিন গ'ল; হাকিমবো চাউল উকলিল। চাৰ-ডেপুটি কালেক্টৰ আমাৰ ভাষাত ভাঙি উলিওৱা 'মাটি হাকিম' হৈ অতদিনে চলি আছিল। এতিয়া হাকিমৰ গুণঠিটো গণতন্ত্ৰৰ খাপ্দৰিত খাপ নেখায়। এনেটো পৰিস্থিতিত, উপ-প্ৰতিসমাহৰ্তাটো একো বেয়া ভাঙনি নহয়; মাথোন কেতিয়াবা উপপতি-সমাহৰ্তা হৈ ওলালেহে হাঁহিৰ পোহাৰ বহে। আকৌ, আমাৰ পৰিভাষাত মাজে মাজে উপসৰ্গৰ উদং মেলোঁতে ভাষাক নানা উপসৰ্গই আক্ৰমণো নকৰাকৈ থকা নাই। 'বক্তাৰ' আগত 'অধি'-উপসৰ্গ বহুৱালে শুদ্ধকৈ ভাল উকীল হয়; কিন্তু 'প্ৰ'-উপসৰ্গ বহুৱালে জানো শুদ্ধ কলেজীয়া শিক্ষক হয়? উপপতি-সমাহৰ্তা হ'লে যেনেকৈ উপপতিবোৰ বিচাৰি ফুৰোঁতে কিল খোৱাৰ ভয় আছে, প্ৰবক্তা হ'লেও তেনেকৈ যিহকে-তিহকে য'তে-ত'তে সমৰ্থন কৰি ফুৰোঁতে কোনোবাই ধৰি বাঁচীৰ ফালে চালান দিয়াৰ ভয় আছে। উপসৰ্গৰ গজাল এটা মাৰি দিলেই বিদেশী শব্দৰ ভাঙনি হৈ নপৰে।

আমাৰ ভাষাত এনে কিছুমান শব্দ আছে, যিবোৰ অন্য ভাষাতো নাই। 'চৌকাঠ' বুলিলে আমি দু�ৱাৰ নাইবা খিৰিকিৰ শূন্য ঠাইখিনি আৰৰি থোৱা সাঁচটোক বুজোঁ। কিন্তু, সেই সাঁচটোৱে আৰৰি থোৱা দেৱালৰ মাজৰ ভৰা ঠাইখিনিৰ নাম এটা অন্য ভাষাত নাই—আনকি, সংস্কৃত আৰু ইৰাজীতো নাই। আমাৰ ভাষাত আছে : বাংকা। এবাৰ কবি বুদ্ধদেৱ বসুৰ আগত 'তোমাৰ খোপাৰ আবেলি-আবেলি গোন্ধ' থকা কবিতাটো আবৃত্তি কৰি শুনাইছিলোঁ। তাবে 'আবেলি' শব্দটোৰ অৰ্থ ক'লত, তেখেত উচ্ছলিত হৈ পৰিছিল, "মই মৰি যাওঁ। এনেকুৱা এটা ধুনীয়া শব্দ আছে—যিটো শব্দৰ মানে হেঙুলীয়া সময়খিনি!" মই নিজেও

জনা নাছিলোঁ, শব্দটোৰ যে এই মধুৰ সৌন্দৰ্য আছে।

এতিয়া মই মান্য ভাষা সম্পৰ্কে দুআষাৰমান কওঁ। আমাৰ এচাম ভাষাবিদে মান্য ভাষাৰ প্ৰতি অতিমাত্ৰিক আনুগত্য দেখুৱাই অন্য অঞ্চলসমূহৰ শব্দসম্ভাৰ খাৰিজ কৰি দিব খোজে, অন্য অঞ্চলবোৰৰ উচ্চাৰণ বৈশিষ্ট্য আৰু বাক্য গাঁথনি বাতিল কৰি দিবলৈ ওলায়। ফলস্বৰূপে, ছাঁ-ভাষাবোৰৰ ছাঁ বাঢ়ি গৈ গা-ভাষাৰ ৰূপ ল'বলৈ ধৰিছে। তাতে লাগনি-খৰিৰ যোগান ধৰিছে, আমাৰ এচাম ভাষাবিদে। তেখেতসকলে গৱেষণাৰ নতুন বিষয় বিচাৰি নেপাই আঞ্চলিক ভাষাবোৰকে লৈ ফেনেকি-গৰকি অসমীয়া ভাষাটোক নেফানেফ কৰাৰ প্ৰৱণতাক প্ৰশ্ৰয় দিছে। মান্য ভাষা বোলা বস্তুটো দৰাচলতে উমানৰ ভাষা—কোনো বিশেষ অঞ্চলৰ কথিত ভাষাকে পাটত তোলা ভাষা নহয়। সি মাথোন ঐতিহাসিক ব্যাকৰণৰ সাঁচত মাৰি নিৰহ-নিপানীকৈ লোৱা উমৈহতীয়া চানেকি-ভাষা। অংকৰ ভাষাত ক'বলৈ হ'লে, সি ল. সা. গু. নহয়—গ. সা. গু-হে। স্কটলেণ্ডৰ মানুহে 'নলেজ' নুবুলি 'নালিজ' বুলি উচ্চাৰণ কৰে; চাণ্ডাৰলেণ্ডৰ মানুহে 'বাচ্' শব্দটো 'বুচ্' বুলি উচ্চাৰণ কৰে। অক্সফোৰ্ড আৰু কেম্ব্ৰিজৰ উচ্চাৰণো সুকীয়া সুকীয়া। ক'ৰবাত কয় 'গ্ৰেড্যুৱেট্' আৰু আন ক'ৰবাত 'গ্ৰেজুৱেট',। এনে বৈচিত্ৰ্যৰ পৰা ইংৰাজী ভাষাৰ ক্ষতি হোৱা নাই। লাভহে হৈছে। কবি ডাইলান টমাছৰ কবিতাত ৱেলছৰ আঞ্চলিক ভাষাৰ শব্দসম্ভাৰে আৰু বাক্যবিন্যাসে ভূমুকিয়াই গৈছেহি। ঠিক সেইদৰে, কবি হিউ মেক্‌ডায়ার্মিডৰ কবিতাত স্কটলেণ্ডৰ ছাঁ-ভাষাৰ পয়োভৰ। কিন্তু, কোনেও তেওঁলোকৰ ভাষা ইংৰাজী নহয় বুলি কোৱা নাই। আনকি, তেওঁলোকে ছলমন ৰুচ্‌ভিৰ ভাৰতীয় শব্দাৱলী আৰু বচনভংগী মিশ্ৰিত ইংৰাজী ভাষাকো অতি সুন্দৰ ইংৰাজী ভাষা বুলি গ্ৰহণ কৰিছে। কোনোবাই বাৰু মহাশিল্পী বিষ্ণু ৰাভাৰ অসমীয়া কৃষ্টি সম্পৰ্কীয় অভিভাষণকেইখন ইমানবোৰ জনজাতীয় মানুহৰ মুখৰ শব্দেৰে ভৰপুৰ হৈ থকা সত্ত্বেও, পঢ়িবলৈ লৈ ক'ৰবাত উজুটি খায় নে? বৰং যিকোনো ৰুচিবান পাঠকেই সিবোৰৰ সুকীয়া সুকীয়া মাতৰ সুৰ-সমলয়ত ভোল নোযোৱাকৈ নেথাকে। অসমীয়া ভাষাৰ মিঠা জুতিটো ৰজাঘৰীয়া ভাষা, গুৰুঘৰীয়া ভাষা আৰু ছাঁ-ভাষা নিৰ্বিশেষে ঘৰৱা ভাষাক আদৰ্শ মিলনৰ ওপৰতে নিৰ্ভৰ কৰে। মান্য ভাষা বুলিলে আমি সেই তিনিওটা ভাষাৰ ছাঁ-পোহৰৰ ভাষাটোকে বুজি পাওঁ। সেই পাগত উঠা ভাষাটো লিখিব জানিছিল, সাহিত্যৰথী বেজবৰুৱাই।

দুখৰ কথা, আমাৰ উঠি অহা পুৰুষৰ কাৰণে 'বেজবৰুৱা গ্ৰন্থাৱলী' দুৰ্লভ হৈ পৰিছে। সময় হ'লহি, যেতিয়া সেই গ্ৰন্থাৱলী আৰু অপ্ৰকাশিত ৰচনাখিনিও সামৰি সৰু আকাৰেৰে একোটা খণ্ড যুক্তিসংগত মূল্যত পাব পৰাকৈ সাতোটামান খণ্ডত ভগাই উলিওৱা বেজবৰুৱাৰ সমগ্ৰ ৰচনাৱলী পাঠক-পাঠিকাৰ হাতত পৰিবহি লাগে। গ্ৰন্থাৱলীৰ স্বত্বাধিকাৰীসকলে সেই কাম যদি কিবা কাৰণত দুনাই কৰিব নোখোজে, তেনেহ'লে স্তায়ী বন্ধোৱস্তীত সেই কামৰ ভাৰ অসম সাহিত্য সভাকেই দিয়ক। সাহিত্য সভা সেই কাম কৰি দিবলৈ প্ৰস্তুত। তাকে নকৰিলে, ভৱিষ্যতৰ বুৰঞ্জীয়ে আমাক ক্ষমা নকৰে।

অসমীয়া ভাষাৰ অগ্ৰগতিৰ পথত আটাইতকৈ ডাঙৰ হেঙাৰখন পুতি লৈছোঁ, আমি নিজে। আমাৰ এচাম মানুহৰ মনত—বিশেষকৈ নগৰকেইখনৰ মানুহৰ মনত—নিজৰ ল'ৰা-ছোৱালীক হাফ-চাহাব নাইবা হাফ-মেম কৰাৰ অসুস্থ আকাংক্ষা এটাই বাহ লৈছেহি। ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুৱাই দুটামান ভাটৌ-গ্লোক আওৱাব পৰা কৰিব পাৰিলেই যেন জীৱনৰ স্বপ্ন বিলাতী কিবা এটো হোৱাৰ বাসনাই পাৰ হৈ যাব! অদ্ভুত লাগে, যেতিয়া একোহাল মাক-বাপেকে উৰৰি খাই পো-পোৱালিৰ প্ৰশংসাত মতলীয়া হৈ পৰে, "আমাৰ অমুকা বা অমুকীয়ে আকৌ অমসীয়া ক'বকে নোৱাৰে!" কোনো কোনোৱে তাতে আৰু এটা প্ৰশংসাৰ কথা পিন মাৰি আঁৰি দিয়ে, "জানিছে, মোৰ ছোৱালীয়ে আকৌ 'সাৰেগামা' এইচৰ নেজানেই; কি কয় সেইটো—'ডো-লা-ফে-মি'? ওঁ সেইটোহে জানে। গাই শুনোৱাচোন 'বা বা ব্লেক শ্বিপ্'টো আণ্টিক।" এটা সময়ত চাগৈ দেশ গোটেইখন মলক গুইন গুইন আৰু গুইন গুইননীৰ মলমলনিৰে উপচি উঠিব! সেইসকলক কাণে কাণে কৈ থ'ৰব মন যায়, সেইবোৰ স্কুলত পঢ়া ল'ৰা-ছোৱালীতকৈ গাঁৱলীয়া স্কুলত পঢ়ি অহা বহুত ল'ৰা-ছোৱালীয়ে বেচি ভাল ইংৰাজী ক'ব আৰু লিখিব জানে। আধুনিক অসমৰ আটাইতকৈ ভাল ইংৰাজী লিখিব আৰু ক'ব জনা আটাইকেয়োজন অসমীয়া তেনেকুৱা গাঁৱলীয়া স্কুলৰ নিয়াৰিতে গঢ় লৈ অহা। মাথোন দুটা নাম এনেয়ে উল্লেখ কৰি থ'লোঁ : হেম বৰুৱা আৰু সত্যেন্দ্ৰনাথ ৰৱকটকী। অকালতে মৰহি পৰা দেবানন্দ শইকীয়া খোৱাং হাইস্কুলৰ ছাত্ৰ আছিল। তেওঁ প্ৰৱেশিকা পৰীক্ষাত ইংৰাজী তৃতীয়খন কাকতত সৰ্বোচ্চ নম্বৰ পাই এটা অভিলেখ সৃষ্টি কৰি থৈ গৈছে। ইৰোবডো পঠিয়ন নগ'লে মই মাথোন ক'লোহেঁতেন,

ইংৰাজী মাধ্যমৰ স্কুলবোৰত মাহে মাহে দিবলগীয়া মাচুলখিনি আৰু ঘৰৰা শিক্ষক ৰখাৰ প্ৰয়োজনত খৰচ কৰা ধনখিনি নিয়মীয়াকৈ ক'ৰবাত সাঁচি থৈ গ'লে, হাইস্কুলীয়া শিক্ষা সাং কৰাৰ পাচত সেই ল'ৰাজনক বিলাতত পঢ়ুৱাৰ জোখাৰে ধন গোট খাব। অৱশ্যে, এইবোৰ প্ৰশ্ন উত্থাপন কৰি লাভ নাই। কিন্তু, সাহিত্যৰ লগত জড়িত, জাতিটোৰ ভৱিষ্যতৰ লগত জড়িত প্ৰশ্নটো উত্থাপন কৰিবই লাগিব : অসমীয়া কিতাপ পঢ়োতাই যদি নাই, তেনেহ'লে কোন লেখকে কোন দুখত কিতাপ লেখিবলৈ যাব? লেখিবই বা কাৰ কাৰণে, পঢ়িবই বা কোনে? চৰিত্ৰহীন জাতিৰ বাহিৰে অন্য কোনো জাতিৰ সমুখত এনে ধৰণৰ প্ৰশ্নই আগচি নথৰেহি।

এতিয়া আনটো বিষয়লৈ আহোঁ। অসম বিধান সভাই ১৯৬০ চনতে ৰাজ্যভাষা আইন এখন গ্ৰহণ কৰিছিল। কিন্তু, সেই আইনখন এতিয়ালৈকে এটা বাওকণী হৈয়েই ৰৈছে। চৰকাৰৰ পাচত চৰকাৰে সেই আইনখন প্ৰয়োগ কৰিবলৈ লৈয়ো সংকোচ প্ৰকাশ কৰি আহিছে। অসমীয়া ৰাজ্যভাষা হিচাপে কাকতে-পত্ৰে আছে, কিন্তু কামে-কাজে একোৱেই নাই। চৰকাৰী দপ্তৰবিলাকৰ কথা নকওঁৱেই, আনকি অসমৰ বিশ্ববিদ্যালয়কেইখনকে ধৰি শিক্ষানুষ্ঠান বিলাকতো প্ৰশাসনীয় কাম-কাজত অসীয়া ভাষাৰ ব্যৱহাৰ-অব্যৱহাৰ বৃটিছৰ যুগৰ দৰেই একেটা ৰূপতে চলি আছে। আনকি, নৈমিত্তিক ছুটিৰ দৰখাস্তৰ পৰা আৰম্ভ কৰি আধাদিনীয়া ছুটিৰ জাননীখনো ইংৰাজীতেই চলি আছে। মাধ্যমিক শিক্ষা পৰিষদে অসমীয়া ভাষাৰ অধ্যয়ন বাধ্যতামূলক কৰি যিখন নিৰ্দেশনামা জাৰী কৰিলে, সিও কাছৰ জিলাৰ উপকূলত ঠেকা খাওঁতে-নেখাওঁতেই চৰকাৰে থিতাঁদহে সেই বিষয়ত হাত ধুই বহি যোৱাৰ পৰিস্থিতিটো তৈয়াৰী কৰি দিলে। কোনো কোনোৱে বিজ্ঞৰ ভাও লৈ লাহে লাহে কিবা এটা কৰাৰ পৰামৰ্শ দিলে। আচল কথা হ'ল, অসমত অসমীয়া ভাষাৰ সাংবিধানিক স্থিতি সম্পৰ্কে আমাৰ কাৰো ধাৰণা স্পষ্ট নহয়। অসমৰ ৰাজ্যভাষাৰ আইনখন ওপজোঁতেই থৰ। সেই আইনত কাছৰ জিলাত বাংলা ভাষাক মূল ৰাজ্যভাষাৰ বৈকল্পিক ভাষা বুলি গ্ৰহণ কৰা হ'ল—জিলাখনত অসমীয়া ভাষাৰ প্ৰৱেশ প্ৰায় নিষিদ্ধ কৰি দিয়া হ'ল। সংবিধানৰ ১৭শ অধ্যায়ৰ ৩৪৭ দফা অনুযায়ী কাছৰ সম্পৰ্কে ৰাজ্যখনৰ বিধান সভাৰ ফালৰ পৰা কৰিবলগীয়া একোৱেই নাছিল। বাংলা ভাষাক কাছৰ জিলাৰ কাৰণে অতিৰিক্ত ভাষা হিচাপে—বৈকল্পিক ভাষা হিচাপে যে নহয়েই—ঘোষণা কৰা-নকৰাৰ অধিকাৰ ৰাষ্ট্ৰপতিৰ ওপৰতহে বৰ্তে। দফাটোত স্পষ্টকৈ কোৱা হৈছে, 'তেনেকুৱা ভাষাও চৰকাৰীভাৱে স্বীকৃত হ'ব' (তুলনীয় Such language shall also be officially recognised)। অকল সেয়ে নহয়, ৰাষ্ট্ৰপতি তুষ্ট হ'লে নিৰ্দিষ্ট কৰি দিব—কি কি কামত বৈকল্পিক ভাষা হিচাপে দি স্বীকৃত হ'ব (তুলনীয় for such purpose as he may specify)। সেই সময়ৰ চৰকাৰে ৰাষ্ট্ৰপতিৰ অধিকাৰৰ কথাষাৰ নেওচি নিজৰ ৰবীয়াকৈয়ে কাছৰ জিলাৰ কাৰণে অন্য এখন ৰাজ্যৰ ৰাজ্যভাষাক অসমৰ এখন জিলাৰ বাবে বৈকল্পিক ৰাজ্যভাষা বুলি ঘোষণা কৰি ৰাজ্যখনৰ ভৱিষ্যত স্বাৰ্থ বিসৰ্জন দি অসমীয়া ভাষাৰ প্ৰতি এটা স্থায়ী অন্যায় সাধি থৈ গ'ল।

যোৱা কথা গ'ল। কিন্তু, এতিয়াও কোনো ৰাজ্যিক আইনৰ গইনা লৈ সাংবিধানক অধিকাৰ খৰ্ব কৰি কাছৰ জিলাত অসমীয়াৰ ৰাজ্যভাষাৰ প্ৰৱেশ নিষিদ্ধ কৰিব নোৱাৰি। শিক্ষানীতিৰ ক্ষেত্ৰত মাধ্যমিক শিক্ষা পৰিষদৰ নিৰ্দেশনামাৰ পৰিপ্ৰেক্ষিতত এটা প্ৰশ্ন নিশ্চয়কৈ উঠে, কাছৰৰ ছাত্ৰ-ছাত্ৰীয়েকেইটা ভাষা বাধ্যতামূলক ভাষা হিচাপে শিকিব? উত্তৰটো স্পষ্ট, কাছৰৰ বাংলা ভাষাভাষী সকলৰ অনেকৰে জীৱনৰ বেথেলহাম পশ্চিমবংগৰ ভিতৰৰা দাৰ্জিলিং জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে যিমানটা ভাষা শিকিব লাগিব, ঠিক সিমানটা; এটাও কম নহয়, এটাও বেচি নহয়; সিবিলাকৰ পৰ্যায়গত অগ্ৰাধিকাৰৰ বিন্যাসো একে ধৰণৰ হ'ব লাগিব। দাৰ্জিলিঙত কাছৰৰ কাৰণে অসমীয়া ভাষাৰ লেখীয়াকৈ বাংলা ভাষাৰ প্ৰৱেশ যদি নিষিদ্ধ নহয়, তেনেহ'লে অসমৰ কাৰণে ভাৰতীয় সংবিধানৰ চাৰি খুটিৰ ভিতৰত বেলেগ এটা অব্যৱস্থা থাকিব নোৱাৰে। দাৰ্জিলিঙত বাংলা ভাষাৰ যিটো স্থিতি, কাছৰতো অসমীয়া ভাষাৰ স্থিতি শতকৰা শতাংশই সেইটোৱেই। এইষাৰ কথা সলসলীয়াকৈ কোৱা আৰু আনকো কোৱাৰৰ দায়িত্ব আহি পৰিছে, মোহদৃষ্টিৰ মলি নথকা শিক্ষিত বাংলা ভাষাভাষী কাছৰবাসীসকলৰ ওপৰত। অসমীয়া ভাষাভাষী মুষ্টিমেয় কাছৰবাসীও নিশ্চেষ্ট হৈ বহি থাকিলে নহ'ব। যদি সেয়ে নহয়, ই মোৰ সম্পূৰ্ণ ব্যক্তিগত অভিমত, সংশ্লিষ্ট সকলোকে অসম চৰকাৰে খোলাখুলিকৈ জনাই দিয়ক, কাছৰ অসমৰ পৰা ওলাই যোৱাৰ পথ মুকলি। দুখনমান কলিকতীয়া কাকতৰ দুমুখীয়া নিন্দা-প্ৰশংসাৰ ওপৰত অসমৰ ভাগ্য নিৰ্ভৰ নকৰে।

আগতেই কৈছোঁ, প্ৰতিজন অসমীয়াই দ্বিভাষিক মানুহ হিচাপে জন্মগ্ৰহণ কৰে। ভাৰতৰ অংগ ৰাজ্য অসম বাইকৈ তিনিটা

জনজাতীয় ভাষা-প্রভাৱিত-অঞ্চলত বিভক্ত। পশ্চিম অসমত বড়ো, মধ্য অসমত কাৰ্বি, আৰু পূব অসমত মিচিং—এই তিনিটা জনজাতীয় ভাষাৰ প্রভাৱ অনতিক্রম্য। ভালকৈ চালি-জাৰি চালে আৰু এটা জনজাতীয় ভাষাৰ কথাও যোগ দিবলগীয়া হয়। সেই ভাষাটো হ'ল, পশ্চিম অসমৰ দক্ষিণ কূলত প্রচলিত ৰাভা ভাষা। সেই ভাষাটোৰ যুক্তিসংগত দাবী মানি নোলোৱাটো বিদ্যায়তনিক অন্যায় হ'ব। যিবোৰৰ মাতৃভাষা অসমীয়া, সিবোৰে মাধ্যমিক শিক্ষাৰ পর্যায়ত ইংৰাজীক দ্বিতীয় ভাষা হিচাপে লৈ ইয়াৰে কোনোবা এটা ভাষা তৃতীয় ভাষা হিচাপে শিকাৰ সুবিধা পালেহে ৰাজ্যখনৰ ভৱিষ্যত প্রশাসনীয় কাম-কাজ নিয়াৰিকৈ চলিব। আনহাতে, যিবোৰৰ মাতৃভাষা অসমীয়া নহয়, সিবোৰে পাৰস্পৰিক ভিত্তিত একেটা শৈক্ষিক পর্যায়ত অসমীয়া ভাষা তৃতীয় ভাষা হিচাপে গ্রহণ কৰিলেহে ৰাজ্যখনৰ ভৱিষ্যত মংগলময় হ'ব। ইয়াৰে পৰিপ্রেক্ষিতত সকলোৱে মানি ল'ব লাগিব, প্রত্যেকজন জনজাতীয় ভাষাভাষী অসমীয়া যেনেকৈ আজন্ম অসমীয়া ভাষিক পৰিস্থিতিৰ মাজত বুৰ গৈ আছে, প্রত্যেকজন অ-জনজাতীয় ভাষাভাষী অসমীয়াও তেনেকৈ চিৰকাল ধৰি প্রতিবেশীৰ জনজাতীয় সাংস্কৃতিক পৰিস্থিতিত বুৰ গৈ আছে। বিচ্ছিন্ন জীবন যাপন কৰি কোনো মানুহেই দ্বীপ হৈ জীয়াই থাকিব নোৱাৰে।

এইখিনিতে স্বাভাৱিকৰূপে অন্য এটা প্রশ্ন আহি পৰে। প্রশ্নটো হ'ল, অসমৰ ল'ৰা-ছোৱালীয়ে ৰাষ্ট্রভাষা হিন্দী শিকিব নেলাগিব নেকি? নে তেওঁলোকে দেশৰ বাকীবোৰ ৰাজ্যতকৈ বেলেগ ধৰণে তিনিটা ভাষাৰ সলনি চাৰিটা ভাষাৰ বোজা কঢ়িয়াবলগীয়া হ'ব? উত্তৰটো স্পষ্ট, হিন্দী যেতিয়া সংবিধানে কল্পনা কৰা ৰূপত ৰাষ্ট্রভাষা হৈ পৰিব, তেতিয়া নিশ্চয় শিকিব লাগিব। কিন্তু, মনত ৰখা আৱশ্যক, এই হিন্দী এতিয়াও সেই হিন্দী হোৱাকৈ নাই। বর্তমানে যিটো হিন্দীক ৰাষ্ট্রৰ চৰকাৰী ভাষা হিচাপে সংবিধানৰ ৩৪৩ দফাৰ গইনা লৈ অহিন্দী অঞ্চলবোৰৰ ওপৰত জাপি দিবলৈ চেষ্টা কৰা হৈছে, তাৰ বাহিৰে-ভিতৰে বহুত সুকণ্ডা আছে। হিন্দীয়ো যিখিনি অর্হতা লৈ ৰাষ্ট্রভাষাৰ মর্যাদা পাব বুলি সংবিধানৰ ৩৫১ দফাত সলসলীয়াকৈ কোৱা হৈছে, সেইখিন এতিয়ালৈকে হিন্দীয়ে আর্জন কৰিব পৰা নাই। সেইবাবেই, এই হিন্দী আৰু সেই হিন্দীৰ প্রশ্ন এটা উঠে। এই হিন্দী সংবিধানৰ ৮ম অনুসূচীত সংকলিত সিদ্ধীকে ধৰি বাকী ১৪টা ভাষাৰ সমগোত্রীয় প্রাদেশিক ভাষা; আৰু সেই হিন্দী এতিয়াও সম্পূর্ণৰূপে গঢ় ল'বলৈ বাকী থকা ৮ম অনুসূচীত থকা মুঠ ১৫টা ভাষাৰ সিপাৰৰ শিখৰ লোকৰ ভাষা। সংবিধানৰ ৫৩১ দফা অনুযায়ী, ভাৰত চৰকাৰৰ ওপৰত সেই স্বপ্নৰ ভাষাটোক লালন-পালন কৰি বাস্তৱত ৰূপ দিয়াৰ এটা দায়িত্ব বর্তিছে: 'ভাৰতৰ সংশ্লেষিত সংস্কৃতিৰ সকলোকেইটা উপাদানৰ প্রতি চকু ৰাখি' আৰু হিন্দী ভাষাৰ নিজস্ব প্রতিভাৰ কোনো ক্ষতি নকৰাকৈ, 'হিন্দুস্থানী (অর্থাৎ উর্দু মিহলি হিন্দী) আৰু ৮ম অনুসূচীত উল্লিখিত আনবোৰ ভাষাৰ ৰূপ, শৈলী আৰু প্রকাশভংগী আত্মস্থ কৰিহে ভাষাটো গঢ়ি উলিওৱাৰ এটা স্পষ্ট নির্দেশ আছে। অকল সেয়ে নহয়, প্রস্তাৱিত ৰাষ্ট্রভাষাৰ শব্দ সম্পদ ঘাইকৈ সংস্কৃত আৰু গৌণৰূপে অন্যান্য ভাষাসমষ্টিৰ পৰা আহৰণ কৰাৰ বাবেও স্পষ্ট নির্দেশ আছে। কিন্তু, বর্তমানৰ কাণ্ডকাৰখানাত ৩৪৩ দফাটোকে চর্তবিহীন বুলি ভাবি উত্তৰাত্যৰ এটা উমৈহতীয়া আঞ্চলিক ভাষাক অৱশিষ্ট ভাৰতবর্ষৰ ওপৰত জাপি দিয়াৰ লক্ষণ ফুটি উঠিছে। সংবিধানৰ যুক্তৰাষ্ট্রীয় গাঁথনিত কোনো এখন অংগৰাজ্যৰ ভাষাক অন্যবোৰ অংগৰাজ্যৰ ভাষাতকৈ বেচি সমান বুলি ভৱাৰ প্রৱণতাক কোনো দীঘলীয়া লেজু দিয়া হোৱা নাই। মই সুধিব খুজিছোঁ, যোৱা ৪০ বছৰত ৰাষ্ট্রভাষা হিন্দীত অন্য ভাষাৰ কেইটা শব্দ সুমুওৱা হ'ল? বোধকৰো, অসমীয়া ভাষাৰ এটা শব্দও এই ভাষাটোত সোমোৱা নাই। অথচ, ইংৰাজী ভাষাৰ অভিধানতো দুই-এটা অসমীয় শব্দ বিচাৰি পাওঁ। অন্ততঃ সেইকেইটা শব্দয়ো তথাকথিত ৰাষ্ট্রভাষা হিন্দীত ভূমুকিয়াব নোৱাৰে নে? স্বাভাৱিকতে, ভাৰতৰ অন্যান্য অঞ্চলবোৰত স্বপ্নৰ ৰাষ্ট্রভাষা হিন্দীৰ প্রতি এটা অসুস্থ প্রত্যাহ্বানৰ মনোভংগী গঢ় লৈ উঠিছে। তাৰ বাবে দায়ী তেওঁলোক নহয়, যুক্তৰাষ্ট্রীয় ধ্যান-ধাৰণাক নেওচি গৈ থকা হিন্দী হৃদয়ভূমিৰ এক প্রচ্ছন্ন ঔপনিবেশিকতাবাদহে ঘাইকৈ দায়ী। এনে এটা পৰিপ্রেক্ষিতত, অসমৰ কাৰণে 'মাতি আ ' বুলিলেই 'ধৰি অনা'ৰ ভৃত্যসুলভ মনোবৃত্তিটো কল্যাণকৰ নহয়। সমস্যাৰ সমাধান নোহোৱালৈকে এটা নোপজা ৰাষ্ট্রভাষাৰ আঁল ধৰি সময় আৰু শক্তিৰ অপচয় কৰাতকৈ এতিয়ালৈকে মুকলি হৈ থকা 'খিৰিকি ভাষা'টোৰ খিৰিকিখন মুকলিকৈ ৰখাটোৱেই বুদ্ধিমানৰ কাম হ'ব। অসমে কেৱল আনৰ হুকুম তামিল কৰিবৰ কাৰণে অকলশৰীয়াকৈ গ্রুপিং-পৰিকল্পনাৰ বিৰুদ্ধে যুঁজ দি স্বেচ্ছাই ভাৰতীয় যুক্তৰাষ্টৰ অন্তর্ভুক্ত হোৱা নাছিল।

স্বাধীনতাৰ পাচৰ পৰা অসমত গঠিত হোৱা কোনো এটা চৰকাৰেই ৰাজ্যভাষা সম্পর্কত সার্থক কিবা এটা কৰাৰ বিষয়ে

আগ্রহ প্রদর্শন কৰা নাই। অন্যবোৰ ৰাজ্যত ৰাজপত্ৰখন দেখোন সিবিলাকৰ নিজ নিজ ভাষাত প্ৰকাশিত হয়। অসমত তাৰ ব্যত্যয় হোৱাৰ কাৰণটো কি? অকৰ্মণ্যতা নে অনীহা? যিকোনো জনপ্ৰিয় চৰকাৰৰ বাবে ই এটা দায়িত্ব, এই বিষয়ত সাহসেৰে আগবাঢ়ি অসমক আনবোৰ ৰাজ্যৰ সমতুল কৰাৰ লগতে প্ৰশাসনকো জনসাধাৰণৰ ওচৰ চপাই দিব লাগে। চৰকাৰৰ ফালৰ পৰা আৰু এটা কৰণীয় কাম আছে। প্ৰতিটো মহকুমাতে ৰাজ্যভাষা প্ৰয়োগৰ বিধি-ব্যৱস্থা নিয়ন্ত্ৰণ কৰিবৰ বাবে যথাযথ ক্ষমতাবিশিষ্ট সম্পৰ্কৰক্ষী বিষয়াৰ অধীনত একোটাকৈ দপ্তৰ স্থাপন কৰিব লাগে। তদুপৰি, বেচৰকাৰী খণ্ডত প্ৰতিষ্ঠিত উদ্যোগসমূহত চাকৰীত নিযুক্তি দিওঁতে সৰ্বস্তৰৰ প্ৰাৰ্থীৰ কাৰণে অসমীয়া ভাষাৰ যথাযথ জ্ঞান বাধ্যতামূলক বুলি বিবেচিত হ'বৰ বাবে উপযুক্ত আইন এখন প্ৰণয়ন কৰিব লাগে। তাকে নকৰিলে মিতিৰ-কুটুমক মাতি মাতি আনি ভৰ্ত্তা-পৰীক্ষাত অসমীয়া প্ৰাৰ্থীক কিলাকুটি মৰা মানুহমখাৰ অসমত দ্বিতীয় এখন অৰুণাচল পতাৰ স্বপ্নক মাথোন উচটনি দিয়াহে হ'ব। এই বিষয়ত সাহিত্য সভাৰ দ্বাৰা পৰিচালিত ভাষাজ্ঞান পৰীক্ষাৰ আৰু এটা উচ্চতৰ স্তৰ নিশ্চয়কৈ মুকলি কৰিবৰ হ'ল। অকল সেয়ে নহয়, বৰ্তমানে চলি থকা পৰীক্ষাবোৰ বিধি-ব্যৱস্থা কৰিলেহে সেই পৰীক্ষাত উত্তৰণে মৰ্যাদা পাব আৰু উদ্দেশ্যও ফলৱতী হ'ব। তাকে নকৰি, আমাৰো এখন ৰাজ্যভাষা আইন আছে বুলি বহি থাকিলে, আমিও হয়তো যুধিষ্ঠিৰক যক্ষৰূপী ধৰ্মই কৰা প্ৰশ্নটোৰ উত্তৰ দিব লাগিব। প্ৰশ্নটো আছিল, "উপজিও কোন থৰ হৈ থাকে?" যুধিষ্ঠিৰে উত্তৰ দিছিল, "কণী।" আমি কি উত্তৰ দিম? "অসমীয়া ৰাজ্যভাষা!" সময়ৰ শৰ মাৰিব নেজানিলে অসমো মৰিব, অসমীয়াও মৰিব—থাকিব মাথোন ইতিহাসৰ এটা জাবৰ দ'ম, সীতাতেলৰ উদং পুং আৰু নাগমাটিৰ শূন্য খোৱোং।

এই সম্পৰ্কত বৰ্তমান অসম চৰকাৰৰ দায়-দায়িত্বকো চুই যোৱা এটা প্ৰস্তাৱ আছে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটত কৃষ্ণকান্ত সন্দিকৈদেৱৰ উৎসাহ-অনুপ্ৰেৰণাৰ ফলত আৰম্ভ কৰা এটা দুমহলীয়া ঘৰ অসম্পূৰ্ণকৈ নিৰ্মিত হৈ পৰি আছে। উদ্দেশ্য আছিল, তাত এটা অসম আৰু প্ৰতিবেশী ৰাজ্যসমূহৰো সকলোবোৰ ভাষা আৰু সংস্কৃতি সম্পৰ্কীয় অগ্ৰগামী গৱেষণা কেন্দ্ৰ স্থাপন কৰা হ'ব। বিশ্ববিদ্যালয় অনুদান আয়োগৰ আধুনিক ভাৰতীয় ভাষা শাখা-সমিতিৰ সদস্য হিচাপে মই এটা প্ৰস্তাৱ দাঙি ধৰিছিলোঁ, অসম সাহিত্য সভাক অগ্ৰগামী গৱেষণা প্ৰতিষ্ঠান হিচাপে বিশ্ববিদ্যালয়ৰ সমতুল মৰ্যাদাৰ স্বীকৃতি প্ৰদান কৰিব লাগে। আয়োগে অতি সহানুভূতিৰে সেই প্ৰস্তাৱ গ্ৰহণ কৰিছিল। কিন্তু, সেই কেন্দ্ৰটো গঢ় লৈ নুঠিল—ঘাইকৈ অসম সাহিত্য সভাৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱাৰ কাৰণে। এতিয়া বতৰ মুকলি হৈ আহিছে। কামটোৰ সাৰ্থক ৰূপদানৰ কাৰণে চৰকাৰে মুকলি মনে ৰ মুকলি মুঠিৰে সহায়ৰ হাত আগবঢ়াব লাগে। অসম চুক্তিৰ এটা দফাত অসমীয়া ভাষা-সংস্কৃতিৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা বিশেষ অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি এটা আছে। অসম চৰকাৰে আৰু এপাট সময়ৰ শৰ মাৰি এটা শকত অনুদান ভাৰত চৰকাৰৰ পৰা সংগ্ৰহ কৰি দিয়ক। প্ৰস্তাৱিত কেন্দ্ৰটো আশা কৰা মতে গাঢ় তুলিবলৈ হ'লে, কমেও পাঁচ কোটি টকাৰ প্ৰয়োজন হ'ব; আৰু সেই অনুক্ৰমে, পৌনঃপুনিক চাহিদাৰ পৰিমাণো বাৰ্ষিক ৩০ লাখমান ৺কা হ'বগৈ। এই কেন্দ্ৰটোৰ শুৰি ধৰিবলৈ আমাৰ উপযুক্ত অৰ্হতাসম্পন্ন পণ্ডিতৰো অভাৱ নহ'ব। তদুপৰি, অসমতত্ত্ব অধ্যয়নৰ বাবে প্ৰস্তাৱিত এই অগ্ৰগামী গৱেষণা কেন্দ্ৰটোক কৃষ্ণকান্ত সন্দিকৈদেৱৰ স্মৰণীয় নামৰ লগত সংযুক্ত কৰাৰো থল নোহোৱা নহয় ক'ৰবাত কেতিয়াবা 'কৃষ্ণকান্ত সন্দিকৈ ভলীবল প্ৰতিযোগিতা' পাতি কেৱল জাতিটোৰ মানসিক আৰু মানসিক দৈন্যৰ পৰিচয় দিব নালাগে। তাৰ সলনি, সিগৰাকীৰ নামেৰে ধন্য এনেকুৱা এটা স্বপ্নক বাস্তৱত ৰূপায়িত কৰিব পাৰিলেহে আমাৰ যে দৰ্জীৰ পিটাৰে হিমালয়ৰ জোখাৰ মূৰ্ত্তা নাই—সেইবাৰ কথা প্ৰমাণিত হ'ব।

ইমানপৰে মই অসমৰ মানুহ আৰু তেওঁলোকৰ মুখৰ মাতৰ কথা আলোচনা কৰিলোঁ। এতিয়া মই তাৰ অনুসিদ্ধান্তৰূপে তেওঁলোকৰ মন আৰু মগজুৰ কথা ক'ম; আধাৰপাত্ৰৰ পাচত আধেয়বস্তুৰ কথা ক'ম। অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা মোৰ কেইবাজনো গুৰুৰে অসমীয়া সাহিত্যৰ ইতিহাসৰ ভালেমান আন্ধাৰ দিশৰ ওপৰত নতুন পোহৰ পেলাই সিবোৰ উদঙাই-উজলাই থৈ গৈছে। সিবিলাকত কিবা নতুন কথা যোগ দিয়াৰ শক্তি মোৰ নাই; সিবিলাককে নতুন সাজপাৰ পিন্ধাই দোহাৰিবৰ প্ৰবৃত্তিও মোৰ নাই। মই আন কেইটামান কথাহে শক্তি অনুসাৰে আলোচনা কৰিব খুজিছোঁ। সমকালৰ অন্যান্য ভাৰতীয় সাহিত্যৰ তুলনাত অসমীয়া সাহিত্যৰ স্থিতি ক'ত? বিশ্বসাহিত্যৰ কোনবোৰ দিশৰ গতি-প্ৰগতিয়ে আমাৰ সাহিত্যক অনুপ্ৰেৰণা যোগাব পাৰে? আৰু, আমাৰ নতুন লেখকসকলৰ ধ্যান-ধাৰণাই কোন বাট লৈছে?

প্রথমটো প্রশ্নৰ উত্তৰ এটা বহুত দিনৰ আগতে 'ভাৰতীয় সাহিত্যৰ পটভূমিত অসমীয়া সাহিত্য' (দ্ৰ, প্ৰবন্ধ-সঞ্চয়ন, অ, সা, স, ১৯৭৭) নামৰ প্ৰবন্ধ এটাত অলপ দীঘলীয়াকৈয়ে দি থৈছোঁ। তাৰে খেও ধৰি দোহাৰিছোঁ, আধুনিক অসমীয়া সাহিত্যৰ পোনৰটো খোজ যদিও ঐতিহাসিক কাৰণত ওড়িয়াৰ লেখীয়াকৈ অন্যবোৰৰ তুলনাত প্ৰায় আধা শতিকা পাচ পৰা, তথাপি স্বাধীনতাৰ দুৱাৰদলি পাবৰ পৰত অসমীয়া সাহিত্য মাথোন সমালোচনা-সাহিত্যৰ বাহিৰে বাকী আটাইকেয়োটা দিশতে সকলোৰে লগত ফেৰ মাৰিব পৰাকৈ আগবঢ়া অৱস্থাত থমকি ৰ'লহি। পৰাধীন যুগৰ অমানিশা শেষ হৈছিল, অসমীয়া সাহিত্যৰ তিনিটা শাখাত তিনিখন যুগান্তকাৰী পুথিৰ প্ৰকাশনেৰে। নাটকত জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' (১৯৩৭), উপন্যাসত বিৰিঞ্চি কুমাৰ বৰুৱা ওৰফে বীণা বৰুৱাৰ 'জীৱনৰ বাটত' (১৯৪৪) আৰু কবিতাত দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছ?' (১৯৪৫) এই তিনওখন ৰমন্যাসবাদৰ তৰংগ-শীৰ্ষৰ সৃষ্টি। ইবিলাকৰ লগতে যোগ দিব পাৰি চুটিগল্প-সাহিত্যত চৈয়দ আব্দুল মালিকৰ 'পৰশমণি' (১৯৪৬) খন। নিৰপেক্ষ দৃষ্টিৰে চালে, ভাৰতবৰ্ষৰ আন কোনোটো সাহিত্যতে—আনকি, উচ্চ মানদণ্ডবিশিষ্ট বাংলা সাহিত্যতো সৃষ্টিধৰ্মী সাহিত্যৰ আটাইকেয়োটা শাখাতে কল্পনাবুদ্ধিৰ এনেকুৱা সুৰ-সমলয়ৰ নিদৰ্শন পাবলৈ নাই। কাৰোবাৰ কাব্য-সাহিত্য, কাৰোবাৰ নাট-সাহিত্য আৰু কাৰোবাৰ গল্প-সাহিত্য— এইদৰে কোনোবাটো কৃতিতহে বাকীবোৰক নিষ্প্ৰভ কৰি তেওঁলোকৰ সাহিত্যই চূড়ান্ত শিখৰ চুইছিলেগৈ।

ভাৰতীয় সাহিত্যৰ তুলনাত অসমীয়া সাহিত্যৰ সেই যুগটোৰ পূৰ্ণতা উপলব্ধি কৰিবলৈ বিভিন্ন ভাৰতীয় সাহিত্যৰ বিৰাট ব্যাপকতাৰ মাজৰ পৰা তুলনামূলক অধ্যয়নত পোৱা শিখৰকেইটা বাচি উলিয়াব লাগিব আৰু অনিবাৰ্যভাবে সেইকেইটাৰ লগত অসমীয়া সাহিত্যৰ এইকেইখন পুথিৰ নিজস্ব গৌৰৱ বিজাই চাব লাগিব। সাহিত্যৰ তুলনামূলক অধ্যয়নৰ ৰীতি সেইটোৱেই।

পোনতে কবিতাৰ কথাই আলোচনা কৰোঁ। কবিতাৰ কথা ওলালেই স্বীকাৰ কৰিবলগীয়া হয়, প্ৰাক-স্বাধীনতা যুগত কাব্য সাহিত্যৰ শ্ৰেষ্ঠতাৰ গৌৰৱ একান্তভাবে বাংলা কাব্যৰেই প্ৰাপ্য। কবিগুৰু ৰবীন্দ্ৰনাথৰ কাব্য প্ৰতিভা কেৱল বাংলা সাহিত্যৰেই নহয়, সৰ্বকালৰ নিখিল ভাৰতীয় সাহিত্যৰে এক অতুলনীয় বিস্ময়। তেওঁৰ কাব্যৰ কবি জীৱনানন্দ দাশৰ কাব্য-প্ৰতিভাক বহু সময়ত আঁৰ কৰি ধৰিলে। অথচ, ৰবীন্দ্ৰনাথে য'ত তেওঁৰ কাব্য-সাধনা শেষ কৰিছিল, জীৱনানন্দই তেওঁৰ কাব্য-সাধনা ত'ৰে পৰাই আৰম্ভ কৰিছিল। কবি জীৱনানন্দই ভাৰতীয় কবিতালৈ আনি দিছিল, এটা নতুন সুৰ। সেই সুৰটো হ'ল, চিত্ৰৰূপময় কবিতাৰ। সেই চিত্ৰৰূপময় কবিতাবোৰ সুন্দৰ বৰ্ণনাবহুল, যি বৰ্ণনা অত্যন্ত বৰ্ণবহুল। অকল সেয়ে নহয়, সেইবোৰ সমাৰিষ্ট বৰ্ণও অপূৰ্ব গুঞ্জনময়। আৰু, সেই গুঞ্জনময়তাৰ অন্তৰালত আছে, প্ৰখৰ ইতিহাসচেতনা।

কবি দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা'তো আছে, সেই একে চিত্ৰৰূপময়তা, গুঞ্জনময়তা আৰু ইতিহাস-চেতনা। লগতে অধিক কিবা এটা আছে, যিটো বস্তু নাই জীৱনানন্দৰ কবিতাত। সেয়া হ'ল, তেওঁৰ কবিতাৰ অপূৰ্ব ছন্দমাধুৰ্য, যি তেওঁৰ কবিতাক মুহূৰ্ততে কবি তোলে 'স্মৰণীয় বাক্যপুঞ্জ'। তেওঁৰ কবিতাৰ প্ৰধান ছন্দসজ্জা প্ৰবহমান ত্ৰিপদী আনকি কবিগুৰু ৰবীন্দ্ৰনাথৰো ছন্দ-চেতনাতো নাছিল। ৰবীন্দ্ৰনাথে স্পষ্টকৈ কৈছিল, পয়াৰৰ বাহিৰে আন সকলো ছন্দসজ্জাতেই—বিশেষকৈ ত্ৰিমাত্ৰিক পদক্ষেপৰ ছন্দসজ্জাত—প্ৰবহমান ৰূপৰ সম্ভাৱনা ভাবনাৰো অতীত। সেইকাৰণেই, সিগৰাকীয়ে অমিতাক্ষৰ ছন্দক ধেমেলীয়া ভাষাত 'জেওৰা ভঙা পয়াৰ' আখ্যা দিছিল। দেৱকান্ত বৰুৱাই তেওঁৰ সবিৰাম ত্ৰিপদীনিৰ্ভৰ প্ৰবহমান ছন্দেৰে প্ৰমাণ কৰি দেখুৱালে, গতি আৰু যতিৰ দ্বৈতলীলা কিমান ঐশ্বৰ্যময় হ'ব পাৰে! অকল সেয়ে নহয়, নাটকীয় একোক্তিৰ আধাৰত সেই নতুন ছন্দসজ্জা কিদৰে প্ৰাণৰ ৰসেৰে সঞ্জীৱিত হৈ উঠিব পাৰে, সেই কথাষাৰো ভৱিষ্যতৰ অসমীয়া কবিক শিকাই থৈ গ'ল। বিস্ময়ৰ কথা, ভাৰতীয় কাব্য সাহিত্যই সুতীব্ৰ মননধৰ্মী কাব্যচিন্তাৰ উপকৰণ হিচাপে এই নতুন আধাৰ-ৰূপটো এতিয়াও আয়ত্ত কৰাৰ প্ৰতীক্ষাত। এই আচহুৱা আধাৰ-ৰূপটোৰ চাট আমাৰ ভাষাৰ পৰৱৰ্তীকালৰ সকলো কবিৰ ৰচনাতে প্ৰবলভাৱে অনুভূত। মুক্তক ছন্দত যে আছেই, আনকি বিশুদ্ধ কথাছন্দৰ কবিতাও ইয়াৰ শিঞ্জনমাধুৰ্যৰ পৰা মুকলি হ'ব পৰা নাই। আৰু সেইকাৰণেই, আধুনিক যুগৰ প্ৰতিজন প্ৰথিতযশা নতুন কবিৰ কবিতাই উভতি-উভতি চিত্ৰস্তনিত ধ্বনিৰ পৰিত্ৰ মৰ্মস্পৰ্শিতাত পৰিণত হৈ সাৰ্থকতা লাভ কৰিছে। লগতে এইষাৰ কথাও কৈ থ'ব পাৰি, কবিতাৰ ৰূপবন্ধৰ এই আসঞ্জনশীলতাই কবিক ভাবনা-বস্তুৰ দাৰ্ঢ্য যেন আপোনা আপুনি যোগাই যায়হি। সেইকাৰণেই, আমাৰ কাব্য-ইতিহাসত তেলুগু কাব্যৰ 'দিগম্বৰ গোষ্ঠী'ৰ লেখীয়া নাইবা মালয়ালম কাব্যৰ 'পূৰোগমনবাদম'ৰ লেখীয়া কোনো টুলুঙা আন্দোলনৰ কোনো প্ৰয়োজন ঘটা নাই। আমাৰ কাব্য

সাহিত্যৰ ডাঙৰ গৌৰৱ, সকলো কবিয়ে সেই কবিতাৰে সাধনা কৰিছে, যি কবিতা ইংলেণ্ডৰ কবি-মাতৃ এডিথ ছিটৱেলৰ ভাষাত, 'লিখিত নহয়—হৈ পৰে'!

থোৱতে ক'বলৈ হ'লে, যোৱা ৪০ বছৰৰ ভিতৰত অসমীয়া কাব্য সাহিত্যৰ অগ্রগতি আনবোৰ আধুনিক ভাৰতীয় কাব্যসাহিত্যৰ তুলনাত নিকৃষ্টতৰ যে নহয়েই, বৰং বহুতো ভাষাৰ কাব্য সাহিত্যতকৈ চহকী বুলি দাবী কৰিব পৰা অৱস্থাত উপনীত হৈছেহি। চল্লিশৰ দশকৰ শেষৰ চকল সময়ৰ পৰা আৰম্ভ কৰি ষাঠিৰ দশকৰ পোনৰ চকল সময়ৰ ভিতৰত আমাৰ সাহিত্যত বোৱতী সুঁতিৰ টোৱোৰৰ লেখীয়াকৈ বহুতো কবি দেখা দিলেহি। সেইসকল কবিৰ ভিতৰত নৱকান্ত বৰুৱা, অজিত বৰুৱা, কেশৱ মহন্ত, হৰি বৰকাকতি, নীলমণি ফুকন, নির্মলপ্রভা বৰদলৈ, হীৰেণ ভট্টাচার্য আৰু হৰেকৃষ্ণ ডেকা—এইসকল কবিৰ কবিতা যিকোনো ভাষাৰ বাবেই গৌৰৱপূর্ণ সৃষ্টি বুলি স্বীকৃত হ'ব পাৰে। মই ইচ্ছা কৰিয়েই সকলোবোৰ কবিৰ নাম লোৱা নাই, জানোচা কোনোবাই ভুলতে ভুৰু কোঁচাই পেলায়—অসম তেনেহ'লে জাপানৰ দৰে মাথোন কবিৰ দেশ। মই ক'ব খুজিছো, এইসকলৰ প্রত্যেকেই একোটা বিশেষ ভংগীৰ কাব্যসাহিত্যৰ প্রতিনিধিত্ব কৰে। অসমীয়া কবিতাৰ বর্তমান কালৰ পৰিস্থিতিটো সীতাংশু যশচন্দ্র নামৰ এগৰাকী গুজৰাটী সমালোচক গুজৰাটী কাব্য পৰিস্থিতিটো এইদৰে একেষাৰ কথাৰে সামৰি থ'ব পৰা বিধৰ নহয়, "সমকালীন গুজৰাট কাব্য কেৱল এই অর্থতেই 'আধুনিক' যে, ই নিজৰ বাহিৰে কাৰো কাৰণে ৰচিত নহয়; আনকি নিজৰ কাৰণেও ৰচিত নহয়। কাৰণ, নিজৰ কাৰণে ৰচিত হ'বলৈ হ'লে ভাব আৰু ৰূপৰ, অভিজ্ঞতা আৰু অভিব্যক্তিৰ মাজত এক দ্বন্দ্ববোধৰ চেতনা আহি পৰে। সাম্প্রতিক গুজৰাট কবিতাই এই পৰিস্থিতিৰ অৱসান ঘটাব খোজে। ই হ'ল এক বিশুদ্ধ বিন্যাস—যি বিন্যাসৰ উপকৰণ হ'ল, শব্দ অথবা মূলতঃ মন।"

এতিয়া মই উপন্যাসৰ কথালৈ আহিব খুজিছোঁ। স্বাধীনতাৰ দুৱাৰদলিলৈকে আধুনিক যুগৰ সর্বশ্রেষ্ঠ উপন্যাসখিনি ৰচিত হৈছিল, বাংলা সাহিত্যত। লাহে লাহে বাংলা উপন্যাস-সাহিত্যত সেই নিয়মীয়া অগ্রগতি শিথিল হৈ আহিল। তাৰ পৰিৱর্তে, গভীৰ জীৱনবোধৰ স্বাক্ষৰ নথকা কিছুমান সাংবাদিকতাধর্মী ভংগীসর্বস্ব গ্রন্থ উপন্যাসৰ জগতলৈ সোমাই আহিল। স্বাভাৱিকতে, স্বাধীনতাৰ পাচত শ্রেষ্ঠতম উপন্যাসৰ সৃষ্টি গৌৰৱ অন্য এটা ভাষালৈ প্রবাহিত হ'বলৈ ল'লে। সেই ভাষাটো হ'ল, মালয়ালম। আৰু, সেই ভাষাৰ শ্রেষ্ঠতম উপন্যাস সৃষ্টিৰ গৌৰৱ ঘাইকৈ এজন লেখকৰেই প্রাপ্য। সেই লেখকজন হ'ল, তাকাছি শিৱশংকৰ পিল্লাই। তেওঁৰ উপন্যাসসমূহৰ এটা ডাঙৰ বৈশিষ্ট্য হ'ল, তেওঁ কোনোখন উপন্যাসতে সিখনৰ আগৰখনত ফুটি ওলোৱা সাহিত্যিক ধ্যান-ধাৰণা খোপনিটোতে ৰৈ থকা নাই। স্বাধীনতাৰ দোকমোকালিতে ১৯৪৮ চনতে প্রকাশিত তেওঁৰ নৱম উপন্যাস 'ৰাণ্টিটঙছি' (দুদোণ ধান) খনত ফুটি উঠিছে, সমাজতান্ত্রিক বাস্তৱবাদী সাহিত্যৰ প্রতি তেওঁৰ গভীৰ অনুৰাগ। সিখনৰ ভাঙনি পটিছোঁ। মালয়ালম সমালোচকসকলৰ মতে, এইখনেই তেওঁৰ সর্বশ্রেষ্ঠ উপন্যাস। এইখনৰ বিষয়ৱস্তু হ'ল, কেৰালাৰ কুট্টনাড অঞ্চলৰ মাটি-বাৰী নথকা খেতিয়কসকলৰ জীৱন। এনেকুৱা খেতিয়কবোৰে সাধাৰণতে নিজকো ৰক্ষকত থৈ ধনী তমুৰান তথা জমিদাৰবোৰৰ পৰা ধান-ঋণ লৈ বিয়া-বাৰু কৰাবলগীয়া হয়। তাৰ পাচত আৰম্ভ হয়, তেওঁলোকৰ ঋণশোধ কৰাৰ কৰুণ ইতিহাস। উপন্যাসখনৰ নায়ক কোৰান আৰু নায়িকা চিৰুতা। লাহে লাগে কোৰানৰ হৃদয়ত অংকুৰিত হ'বলৈ লয়, সংগ্রামৰ ভাবনা-চিন্তা। সেই সংগ্রামৰ অন্তৰালত আছে, শ্রেণী সংঘর্ষৰ চেতনা। পলাতক কোৰানে গর্ভৱতী স্ত্রী চিৰুতাক তাইৰ পাণিপ্রার্থী চাত্তনৰ হাতত সমর্পণ কৰি থৈ যায়। কিন্তু, চাত্তন আৰু চিৰুতাৰ মাজত এক অভাৱিত ভাই-ভনীৰ সম্পর্ক গঢ়ি উঠে। এইদৰেই উপন্যাসখনত চিত্রিত হৈছে, এহাতে দাৰিদ্র্য আৰু লাঞ্ছনাৰ ইতিহাস, আনহাতে এক অপৰাজেয় সংগ্রামৰ কাহিনী।

পিল্লাইৰ আনখন উপন্যাস 'চেম্মীন' (মিছা মাছ) প্রকাশিত হয়, ১৯৫৫ চনত। এইখন উপন্যাস বর্তমান কালৰ ভাৰতীয় কথা সাহিত্যৰ এক অনন্য-সাধাৰণ সৃষ্টি। এইখন উপন্যাসৰ পৰিমণ্ডল একান্তভাৱেই ৰমন্যাসিক; অথচ, ইয়াৰ পটভূমি সম্পূর্ণৰূপে বাস্তৱভিত্তিক। কাহিনীটো আমাৰ বহুতৰে পৰিচিত। এজনী মালাবাৰ উপকূল অঞ্চলৰ দুখীয়া কৈৱর্ত ছোৱালী। নাম কাৰুতাম্মা। জাতি-বিচাৰৰ হেঙাৰ নেওচি তাই এজন মুছলমান ডেকা পাৰীকুট্টিৰ ওচৰ চাপি আহিছিল। কিন্তু, সিহঁত দুয়ো বিবাহ-বন্ধনত আৱদ্ধ হ'ব নোৱাৰিলে। গতানুগতিক ৰীতিৰে পালানি নামৰ এটি কৈৱর্ত ডেকাৰ লগতে কাৰুতাম্মাৰ বিবাহ সম্পন্ন হৈ গ'ল। সময়ত সিহঁতৰ জীৱনলৈ আহিল, এটি নতুন মানৱ-শিশু। জীৱিকাৰ তাড়নাত পালানি ঘন ঘনকৈ সাগৰলৈ যাবলগীয়া হ'ল,

মাছ বিচাৰি। সিহঁতৰ সমাজত এটা জনবিশ্বাস আছিল, ঘৰৰ মানুহটো সাগৰত থাকোঁতে পাৰৰ মানুহজনীয়ে কিবা ভ্ৰষ্টাচাৰ কৰিলে, মানুহটোৰ কিবা বিপদ ঘটে। এনিশা পালানি সাগৰলৈ ওলাই গৈছে। কিন্তু, সেই নিশা কাৰুতাম্মাৰ টোপনি অহা নাছিল। নিশাৰ বতাহত ওপঙি অহা চিনাকি গীতৰ সুৰ এটাই তাইক আমনি কৰিছিলহি। কাৰুতাম্মাৰ চিনিবলৈ বেচি পৰ নেলাগিল, সেয়া পাৰীকুট্টিৰ কণ্ঠস্বৰ। ইপিনে সাগৰৰ মাজৰ বা-মাৰলিত পৰিল, পালানিৰ নাও। তাৰ সন্দেহ হ'ল, কাৰুতাম্মাৰ মনৰ শুচিতা হেৰাইছে। শেষ নিশা কাৰুতাম্মাৰ ভনীয়েক পঞ্চমী আৰু গাঁৰৰ মানুহে দেখা পালে, পালানিৰ নাওখন টলংভটংকৈ আহি থাকোঁতেই সাগৰৰ মাজতে উবুৰি খাই পৰিল। দুদিন পাচত গাঁৰৰ মানুহে বিচাৰি পালে, সাগৰৰ উপকূলত দুটা মৰা শ-কাৰুতাম্মা আৰু পাৰীকুট্টিৰ। ওচৰতে আৰু এটা মৰা শ-এটা প্ৰকাণ্ড তিমি মাছৰ। গল্প বুলিবলৈ ইমানেই-এটা চিৰকলীয়া ত্ৰিভূজ। কিন্তু, পিল্লাইৰ বৰ্ণণা-প্ৰতিভাৰ যাদু স্পৰ্শত সি এক অপূৰ্ব ৰহস্যময় ৰূপ লভিছে।

পিল্লাইৰ জীৱনৰ কীৰ্তি হৈছে, আমি কোনেও পঢ়িবলৈ নোপোৱা কেইবাটাও খণ্ডত প্ৰকাশিত 'কায়াৰ' নামৰ উপন্যাসখন। ইখনৰ পটভূমি হ'ল ২৫০ বছৰ বিয়পা কেৰেলাৰ এখন গাঁৱৰ ক্ষান্তিহীন বিৱৰ্তনৰ ইতিহাস। উপন্যাসখনৰ আৰম্ভ হৈছে, সেই গাঁৱলৈ ঈশ্বৰৰ মাটিও চিঠা চাই শিকলিৰে জোখা ৰজাঘৰীয়া মণ্ডলৰ প্ৰথম আগমনৰ দিনটোৰ পৰা, শেষ হৈছেগৈ, সৌ সিদিনা নক্সালবাদী আন্দোলনে গাঁওখনৰ মানুহৰ মন বুৰাই পেলোৱা দিন এটাত।

মালয়ালম সাহিত্যৰ তথা আধুনিক ভাৰতীয় সাহিত্যৰ এইকেইখন শ্ৰেষ্ঠ উপন্যাসৰ গৌৰৱ অসমীয়া বহুকেইখনে দাবী কৰিব পাৰে। আৰু এটা কথা, 'জীনৰৰ বাটত 'খনলৈকে অসমীয়া উপন্যাস-সাহিত্য মাথোন এটি ক্ষীণ নিজৰাহে আছিল; কিন্তু যোৱা দশক কেইটাতে বাঢ়ি বাঢ়ি ই এখন নোদোকা নদী হৈ পৰিল। বিৰিঞ্চি কুমাৰ বৰুৱাৰ আনখন উপন্যাস 'সেউজী পাতৰ কাহিনী'ত 'জীৱনৰ বাটত'খনৰ স্পন্দনশীলতা পাবলৈ নাই। গাঁৱৰ জীৱন আৰু চাহ-বাগিচাৰ জীৱন দুটা পিয়লাৰ পৰা লৈ একেৰাঙী কৰি একেটা পিয়লাতে থোৱা নহ'লগৈ। তথাপি, সেইখনৰ কৃতিত্বই মূলকৰাজ আনন্দৰ 'দুটি কুঁহি এটি পালৰ কৃতিত্বক চেৰাই গৈছে। একেটা পটভূমিৰ সৃষ্টি যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' অত্যন্ত নিটোল আৰু সিখনৰ গাঁথনিৰ ক'তো অকণো আঁৰ নাই।

আমাৰ সাহিত্যত নদীক কেন্দ্ৰ কৰি লিখা কেইবাখনো অতি সাৰ্থক উপন্যাস আছে। সেই বিষয়ৰ শিল্প-ৰসোত্তীৰ্ণ উপন্যাসকেইখনৰ নামকেইটা মাথোন ইয়াতে সুঁৰৰি থওঁ : লক্ষ্মীনন্দন বৰাৰ 'গঙা চিলনীৰ পাখি', নিৰুপমা বৰগোহাঞিৰ 'সেই নদী নিৰবধি', অমূল্য বৰুৱাৰ 'এই পদুমণি' আৰু লীলা গগৈৰ 'নৈ বৈ যায়'। চৈয়দ আব্দুল মালিকৰ 'সূৰ্যমুখীৰ স্বপ্ন'ও ধনশিৰীৰ পলসৰ ভেটিতে ৰচিত। মেদিনী চৌধুৰীৰ 'তাত নদী নাছিল'খনতো এখন ক্ষীণ নদীৰ সুঁতি আছে। মালিকৰ 'সূৰ্যমুখীৰ স্বপ্ন'খনৰ কাব্যিক মানসবীক্ষণ পিল্লাইৰ 'চেম্মীন'খনৰ কাব্যিক মানস-বীক্ষণৰ সৈতে একেটা সাঁচৰ। দুয়োখনৰ জুতিটোও একে ধৰণৰ। দুয়োখন উপন্যাসৰ শিল্পৰূপে উপন্যাস-সাহিত্যৰ আন্তৰ্জাতিক মানদণ্ডক ঐশ্বৰ্যময়তাৰে সঁহাৰি দিছে। আনহাতে, মেদিনী চৌধুৰীৰ 'তাত নদী নাছিল'খনৰ শিল্পৰূপ আধুনিক য়ুৰোপীয় উপন্যাসবোৰৰ দৰেই অতি জটিল কল্পনা-প্ৰতিভাৰে মণ্ডিত। এই জটিল শিল্পৰূপটোৱেই সিজনাৰ 'ফেৰেংগাদাও'খনক আৰভিং ষ্টনৰ 'লাষ্ট ফৰ লাইফ'ৰ লেখীয়া জীৱনভিত্তিক উপন্যাসবোৰতকৈ বেলেগ এটা স্বতঃপূৰ্ণ শ্ৰেণীলৈ স্থানান্তৰিত কৰি নিছে।

'সূৰ্যমুখীৰ স্বপ্ন' যদি লিৰিকেল স্বচ্ছতাৰে স্পন্দিত, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ইয়াকুইংগম' তেনে-ধৰণৰ মহাকাব্যিক প্ৰগাঢ়তাৰে মণ্ডিত। ইখনত প্ৰকাশ পোৱা জীৱনবোধ ৰীতিমতে সুগভীৰ, আৰু তাৰ প্ৰতীতি শিল্পৰূপৰ সাধ্য সৌষম্যবোধৰ ওপৰত নিৰ্ভৰশীল নহয়। এই উপন্যাসখন যেন চমাৰছেট মমৰ ভাষাত ক'বলৈ হ'লে, 'পেন্সিলৰ ভোঁটা মুৰটোৰে লিখা'. যিটো গুণ যিকোনো মহৎ উপন্যাসৰ প্ৰধান গুণ। এই গুণটোৰে চৌধুৰীৰ 'তাত নদী নাছিল'খনো গুণান্বিত। এইখনত সময় কেৱল বৈ থকা নদী নহয়; ইয়াৰ সোঁত আগবাঢ়ি যায়, হুঁহকি আহে আৰু থমকি ৰৈ যায়। এই নদীৰ সময় আইনষ্টাইনীয় দেশ আৰু কালৰ যৌগিক সময়। মালিকৰ 'সূৰ্যমুখীৰ স্বপ্ন' আৰু সিখনৰ কাষতে থ'ব পৰা নৰকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু' যদি দুখন মোহনীয় জলৰঙী ছবি, তেনেহ'লে 'ইয়াকুইংগম' আৰু 'তাত নদী নাছিল' উপন্যাস দুখনক ক'ব পাৰি, দুখন অতি বিশ্ৰস্ত বৰ্ণোচ্ছল তেল-ছবি। আনহাতে, মালিক আৰু যোগেশ দাসৰ মাজত প্ৰধান বৈসাদৃশ্য উপস্থাপনৰ ভাষাত-এজনৰ চিত্ৰৰূপময়তোত, আৰু আনজনৰ নাটিকথনত। যোগেশ দাসে যেন মনে-প্ৰাণে বিশ্বাস কৰে, 'ঈশ্বৰে তোমাক দুখন কাণ দিছে

জিভা মাথোন এখন'। উপন্যাসনত তাৰ সুন্দৰ প্ৰতিফলন পোৱা যায়, সিজনাৰ 'অবৈধ'খনত।

পুথিৰ আকাৰেৰে এতিয়ালৈকে প্ৰকাশ নোপোৱা, মাথোন 'সীৱলু'ৰ পাতত ওলোৱা হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা'ৰ কথা উল্লেখ নকৰিলে ভুল হ'ব। এইখন উপন্যাসে বিষয়বস্তুৰ সাহসিকতাৰে অসমীয়া উপন্যাসলৈ এক নতুন দিগন্তৰ বাৰ্তা বহন কৰি আনিছে। মৰ্মস্পৰ্শ সহানুভূতিৰে ৰচিত হ'লে, ভয়ৰ কাৰণ থকা বিষয়কো সাহিত্যৰ চাৰিসীমাৰ ভিতৰলৈ লৈ আনিব পাৰি, এইখন উপন্যাস তাৰ সুন্দৰ নিদৰ্শন। ইয়াৰ কাহিনীটো যেন অসমৰ মানুহ নানা পৰিৱৰ্তনৰ মাজেদি নিতৌ গঢ় লৈ থকা সমকালীন ইতিহাসৰ এটি হাতী-দাঁতত আঁকি উলিওৱা অনুচিত্ৰ।

আৰু এটা কথা। যোৱা ৪০ বছৰৰ ভিতৰতে যে অসমীয়া উপন্যাসৰ এই বিপুল বিস্তাৰ ঘটিছে, তাৰ অন্তৰালত আছে দুজন ঔপন্যাসিকৰ অনলস প্ৰচেষ্টা। বিপুল জনপ্ৰিয়তাৰ অবিহনে উপন্যাস সাহিত্যৰ এই বিপুল বিস্তাৰম সম্ভৱ নহ'লহেঁতেন। মহম্মদ পিয়াৰে এমুঠি সহজবোধ্য উপন্যাস ৰচনা কৰি এইবিধ বিশিষ্ট সাহিত্যৰূপক সাধাৰণ মানুহৰ দুৱাৰদলিত প্ৰতিষ্ঠা কৰিলেহি। টেক্সি-ড্ৰাইভাৰ, পিয়ন-চকীদাৰ আৰু বাচ-কণ্ডাক্টৰো উপন্যাসৰ পাঠক হৈ পৰিল। হিতেশ ডেকাই আন এমুঠি উপন্যাস ৰচনা কৰি তাৰ পৰৱৰ্তী কালত খেতিয়ক সমাজকো উপন্যাসৰ আগ্ৰহী পাঠক কৰি তুলিলে।

কথা-সাহিত্যৰ আনটো বিভাগ চুটিগল্পতো অসমীয়া সাহিত্য এই সময়ছোৱাত চহকী হৈ উঠিছে। স্বীকাৰ কৰিব লাগিব, আধুনিক ভাৰতীয় সাহিত্যৰ প্ৰত্যেকটোৰেই এই বিভাগটোত তাৎপৰ্যপূৰ্ণভাৱে চহকী। প্ৰত্যেকটো ভাষাতে চুটিগল্পৰ বানপানী বৈছে। আনহাতে, য়ুৰোপীয় সাহিত্যত তুলনামূলকভাৱে এইটো সাহিত্যৰূপত জোৱাৰৰ পাচত ভাঁটা আৰম্ভ হৈছে। তাৰে পৰিপ্ৰেক্ষিতত ক'ব খুছিজোঁ, আমাৰ সাহিত্যত বহুকেইটা অবিস্মৰণীয় শ্ৰেষ্ঠ চুটিগল্প ৰচিত হৈছে। চৈয়দ আব্দুল মালিকৰ 'দুখন ভৰি', মহিম বৰাৰ 'কাঠনিবাৰী ঘাট', ভবেন শইকীয়াৰ 'শৃংখল' আৰু হোমেন বৰগোহাঞিৰ 'হাতী'ৰ দৰে চুটিগল্পবোৰে অসমীয়া সাহিত্যৰ এইটো শাখাত বিভিন্ন প্ৰকাৰৰ নতুন আয়তন প্ৰদান কৰিছে। সৌৰভ চলিহাৰ 'বাৰকাৰ'ল' একাধাৰে ভাববস্তুৰ গভীৰতা আৰু ৰূপবস্তুৰ অভিনবত্বেৰে এক অতি অনন্য সাধাৰণ সৃষ্টি। এই গল্পটোৰ পৰিমণ্ডল একান্তভাৱেই বৌদ্ধিক। আনহাতে, তেওঁৰ 'হাঁহিচম্পা' চকুলোৰে সেমেকি থকা নিজস্ব ভংগীৰ এক অননুবাদ্য সৃষ্টি।

সৃষ্টিধৰ্মী সাহিত্যৰ ক্ষেত্ৰত যদি কোনোবাটো শাখাত অসমীয়া সাহিত্য অনগ্ৰসৰ হৈ আছে, তেনেহ'লে সেয়া নাটকত। অথচ, স্বাধীনতাৰ দুয়োপাৰে ওচৰৰ সময়ছোৱাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে তেওঁৰ একক প্ৰতিভাৰে যিটি সোণৰ দেউল বান্ধি থৈ গৈছে, তাৰ তুলনা ভাৰতীয় অন্যবোৰ সাহিত্যতো বিৰল। অকল সেয়ে নহয়, তেওঁৰ জীৱন-বেলি লহিওৱাৰ পাচত, সমগ্ৰ ভাৰতৰ বাৰেই অকল্পনীয় ভ্ৰাম্যমান নাটঘৰৰ ঐতিহ্যই শ্ৰেষ্ঠ নাটকৰ সফল সৃষ্টিৰ নিমিত্তে সেন্দুৰীয়া বাজআলি বান্ধি দিছে বুলি ক'ব পাৰি। তথাপি কিয় 'কাৰেঙৰ লিগিৰী'ৰ দৰে অথবা 'ৰূপালীম'ৰ দৰে চিৰায়ত নাটক এই সময়ছোৱাত সৃষ্টি নহ'ল? প্ৰশ্নটোৰ উত্তৰ মাথোন এটাই বিচাৰি পাইছোঁ। নাট্যকাৰে কবটি-শিলত নাটকৰ মূল্য নিৰ্ণয় কৰিবলৈ বিচৰা নাই; আৰু নাটঘৰেও ৰসোত্তীৰ্ণ নাটক বিচাৰি সাহিত্যিক নাট্যকাৰৰ কাষ চপা নাই। নাট্যকাৰে উমান পোৱা নাই, নাটকৰ শ্ৰেষ্ঠতা নিৰূপিত হয়, ৰসিক দৰ্শকৰ চকু-কাণৰ যুগল তস্তিৰ আধাৰতহে—বুদ্ধিমান পঠাকৰ মাথোন মগজুৰ বিচাৰ-বুদ্ধিৰ আধাৰত নহয়। নাটঘৰে বুজি পোৱা নাই, জাতীয় সাহিত্যৰ ছাঁ থকা বিশ্বজনীন আবেদনযুক্ত নাটকেহে দৰ্শকৰ হৃদয়-মনত স্থায়ী স্মৃতিৰ স্বাক্ষৰ থৈযাব পাৰে। মঞ্চসফল নাটক বুলিলেই সি শ্ৰেষ্ঠ নাটকৰ পৰ্যায়ভুক্ত নহয়গৈ। আচল কথা হ'ল, নাটকেহে মঞ্চক গঢ় দিয়ে—মঞ্চই নাটকক গঢ় নিদিয়ে।

শ্ৰেষ্ঠ নাটক কাক কয়, সেই বিষয়টো পুংখানুপুংখৰূপে আলোচনা কৰি থৈ গৈছে, এৰিষ্টোট্‌লে তেওঁৰ 'পয়েটিক্স' গ্ৰন্থত। এৰিষ্টোট্‌লে তেওঁৰ দেশৰ তিনিজন শ্ৰেষ্ঠ নাট্যকাৰৰ জীৱনবোধ বটৰিকে বিশ্লেষণ কৰি নাটকৰ সাহিত্যিক মূল্য সম্পৰ্কে কেইটামান সিদ্ধান্তত উপনীত হৈছিল। সৰ্বকালৰ সেই তিনিজন নাট্যকাৰৰ প্ৰত্যেকেই ট্ৰেজেডী ৰচয়িতা। সেইসকলৰ নাটকত বিধৃত হৈছে সুগভীৰ জীৱনবোধৰ বিভিন্ন দৃষ্টিভংগী। এইসকল নাট্যকাৰে তেওঁলোকৰ ট্ৰেজেডীসমূহত অংকন কৰি থৈ গৈছে এনে কিছুমান মানুহৰ চৰিত্ৰ, যিবোৰৰ অসৰ দীপ্তি প্ৰকাশ পাইছে মৃত্যুৰ স'তে মুখামুখি হোৱাৰ মুহূৰ্তবোৰত। ইস্কিলাছৰ নাটকসমূহত নিয়তিৰ স'তে সংগ্ৰামৰত প্ৰতিটো চৰিত্ৰৰ-ওৰেষ্টিছ, ক্লাইটেমনেস্ত্ৰা আৰু প্ৰমিথিউজ প্ৰত্যেকৰে-জীৱন-বৃত্ত একান্তভাৱে দুখ আৰু যন্ত্ৰণাৰে ভৰপূৰ। যৱনিকা-পতনৰ পূৰ্ব-মুহূৰ্তত প্ৰত্যেকৰে কণ্ঠত বাজি উঠিছে নিয়তিৰ যুক্তিহীন অবিচাৰৰ বিৰুদ্ধে

এক তীব্র অভিযোগৰ সুৰ। সেই অভিযোগৰ সুৰটোৰ লগত মিহলি হৈ আছে জীৱনেৰে মৰণক জয় কৰি যোৱাৰ সৈনিকসুলভ অদমিত সংকল্পৰ কণ্ঠস্বৰ।

চফোক্লিছৰ নাটকত প্ৰকাশিত হৈছে, অন্য এক জীৱনবোধৰ মৰ্মধ্বনি। মানুহ নিয়তিৰ হাতত শিশুৰ হাতৰ পুতলাৰ দৰে অসহায়। কিন্তু, মানুহৰ অন্তৰাত্মাত এনে এটা বিন্দু আছে, য'ত সি নিজেই নিজৰ ভাগ্যৰ অধিপতি। জীৱনেৰে মৰণক নহয়, মৰণেৰে জীৱনক জয় কৰিব পৰাতেই মানুহৰ পূৰ্ণতা। সেই জীৱনবোধৰে স্পষ্ট প্ৰতিধ্বনি এটা শুনিবলৈ পাওঁ, তুলনামূলকভাৱে আধুনিক চেক্সপীয়েৰৰ 'কিং লিয়েৰ' নাটকত ঃ

As flies to the wanton boys
Are we to the gods. they kill us
For their sports.
(জিএগ্লাটোৰ দৰে উল্লসিত শিশুৰ হাতৰ
আমিও কেৱল বন্দী দেৱতাৰ হাতৰ মুঠিত।
সিহঁতে আমাক হত্যা কৰে বিচাৰি খেলাৰ ফুৰ্তি)।

চফোক্লিছে সেই মানুহৰ ক্ষুব্ধ আত্মাক এমুঠি সান্ত্বনাৰ যোগান ধৰিছে, জীৱনৰ বন্ধনক উপেক্ষা কৰিব পৰাতেই সমস্ত সাৰ্থকতা। আজাখৰ চৰিত্ৰটোত ফুটি উঠিছে সেই সান্ত্বনাৰ সুৰ ঃ মানুহ যিদৰে জীয়াই থাকিব পাৰে মহত্ত্বৰ সৈতে, সি সেইদৰে মৰিবও পাৰে মহত্ত্বৰ সৈতে। পূৰ্ণতাই জীৱনৰ সাৰ্থকতা। ইস্কিলাছত আমি বিচাৰি পাওঁ, জীৱন-যন্ত্ৰণাৰ অন্তৰালত থকা ৰহস্যৰ অন্তহীন অন্বেষণ আৰু মানুহৰ অপৰাজেয় আত্মাৰ প্ৰবল বিদ্ৰোহৰ কণ্ঠস্বৰ। চফোক্লিছত বিচাৰি পাওঁ, মানুহৰ সহনক্ষমতাৰ অপূৰ্ব মাধুৰ্য।

ইউৰিপিডিচৰ ট্ৰেজেডীসমূহ বেলেগ এটা সুৰত বন্ধা। জীৱন-সংগ্ৰামৰ অন্তত মানুহৰ নিৰ্বোধ লিপ্তিৰ প্ৰতি এক মৌন ভৰ্ৎসনা। তেওঁ আঁকি উলিয়াইছে ছবিৰ দৰে, জীৱনৰ সকলো অস্বস্তিৰ য'ত শেষ সেই পৰম স্বস্তিৰ। এই তিনিজন নাট্যকাৰৰ নাটকত নাটকত বিধৃত হৈছে, মানুহৰ সভ্যতাৰ সমস্ত ইতিহাস-পৰিক্ৰমা; যেন বিন্দুৰ বুকুত সিন্ধুৰ গৌৰৱ। ইস্কিলাছে সোঁৱৰাই দিব খোজে, মানুহ-সভ্যতাৰ প্ৰথম পুৱাৰ স্তোত্ৰসমূহ, সিবিলাকত মিহলি হৈ থকা বেদনাৰ মৰ্মধ্বনি আৰু প্ৰকৃতিৰ ওপৰত জয়ধ্বজা উৰুৱাবৰ বাবে শক্তি সংগ্ৰহৰ প্ৰচ্ছন্ন প্ৰাৰ্থনাধ্বনি। চফোক্লিছত যেন শুনিবলৈ পোৱা যায়, অৰ্জুনৰ প্ৰতি শ্ৰীকৃষ্ণৰ নিষ্কাম কৰ্মৰ আহ্বান। আৰু, ইউৰিপিডিচত যেন উন্মোচিত হৈছে ঈশ্বৰ-পুত্ৰ যীচুখৃষ্টৰ জীৱন-দৰ্শনঃ 'ক্ৰুচবিদ্ধ হ'ব পৰাতেই পুনৰুত্থানৰ সম্ভাৱনা'। সাধাৰণতে, আমি অতি উৰঙা অৰ্থতেই গ্ৰহণ কৰি আহিছোঁ সেই বহুজন-উধৃত প্ৰবচনটো, "সাহিত্য যুগৰ দাপোণ স্বৰূপ।" সৰ্বকালৰ শ্ৰেষ্ঠ এই তিনিজন ট্ৰেজেডী ৰচয়িতাৰ নাটকত প্ৰকাশ পোৱা জীৱন-বীক্ষাৰ স্বৰূপ ভালকৈ ফঁহিয়াই চালে ওলাই পৰে, কথাষাৰৰ গভীৰ নিহিতাৰ্থ।

ইস্কিলাছৰ সমকালীন গ্ৰীক ইতিহাস কেইবাখনো যুদ্ধৰ কলৰৱেহে মুখৰিত। মাৰাথন, থাৰ্মোপিলি আৰু চালামিছ— সকলোকেইখন যুদ্ধতে বীৰ পুৰুষৰ জয়জয়কাৰ। ইস্কিলাছৰ জীৱন-দৰ্শনত সেইবাবেই বীৰত্বৰ ইমান মুখৰিত প্ৰশংসা। চফোক্লিছে তেওঁৰ জীৱনৰ তিনিটা স্তৰত এথেন্সৰ তিনিটা অমিল ৰূপ দেখা পাইছিল ঃ শৈশৱৰ ঐশ্বৰ্যময় এথেন্সৰ প্ৰশান্ত শান্তি, শেষ-যৌৱনৰ ৰণোন্মত্ত এথেন্স আৰু বাৰ্ধক্যত বিধ্বস্ত এথেন্স। সেইবাবেই, তেওঁৰ নাটকত প্ৰকাশ পাইছে নিমোঃ কৰ্মৰ বন্দনা আৰু ইউৰিপিডিচে দেখা পাইছিল এথেন্স আৰু স্পার্টাৰ মাজত ৰক্তক্ষয়ী সংগ্ৰাম; আৰু দেখা পাইছিল বিজয়ী এথেন্সতো যুদ্ধ শেষ হৈ যোৱাৰ পাচতো যুদ্ধৰ ক্ষয়ংকৰী দৃশ্য। সেইবাবেই, তেওঁৰ নাটকত দেখা যায়, ট্ৰয়ৰ যুদ্ধৰ শেষত মৃত সন্তানক বুকুত লৈ অশ্ৰুৰ ধাৰা শুকাই পৰা জননীৰ ছবি আৰু দৰিদ্ৰ কুটিৰত একালৰ কাৰেং-শোভনা ৰাজকুঁৱৰীৰ ব্যথাহত জীৱনৰ ছবি। এইদৰেই সাহিত্যিক-নাট্যকাৰে সমকালৰ অভিজ্ঞতাক সৰ্বকালৰ বিয়লাত বন্দী কৰি থ'ব খোজে। ট্ৰেজেডী হওক, কমেডী হওক ক্ষতি নাই, কিন্তু নাটক সাহিত্য হিচাপে আপোন যুগৰ দাপোণ নহ'লে, ডন কুইনচোটৰ দৰে ক'বলগীয়া হয়, 'এই বছৰৰ পথাৰত যোৱা বছৰৰ ডাঙৰি চপাবলৈ নিবিচাৰিবা।" সকলো যুগৰ সকলো দেশৰ সকলোবোৰ সাহিত্যৰূপতে এইষাৰ কথা সমানে প্ৰযোজ্য।

সর্বকালৰ এখন শ্ৰেষ্ঠ উপন্যাস টলষ্টয়ৰ 'ৱাৰ এণ্ড পীচ'খনতো অংকিত হৈছে, আপোন দেশৰ আপোন কালৰ ছবি; অথচ, সি চফোক্লিছৰ নাটকৰ দৰেই এক বিশ্বজনীন জীৱনবোধৰ যাদু-স্পৰ্শ লভি চিৰকালৰ সাহিত্য হৈ পৰিছে। কি সেই জীৱনবোধ? নেপোলিয়নৰ কছ অভিযান ব্যৰ্থ হৈছে; তেওঁৰ সেই বিৰাট সৈন্যবাহিনী অসংখ্য সৰু সৰু দলত বিভক্ত হৈ ৰৱফৰ ধলৰ ওপৰেদি পিচ হুঁহকি গৈ আছে। তেনেকুৱা এটা সৰু দলৰ পিচে পিচে গৈ আছে এদল অসামৰিক কছ বন্দী। সিহঁতৰ মাজত পূৰ্বৰ এক ধনীৰ ঘৰৰ ল'ৰা পিয়েৰ বেজুহভ্। এতিয়া তাৰ ভৰিত জোতা নাই, গাৰ কাপোৰ-কানিবোৰ ফটা-ছিটা, মূৰৰ চুলিত এগাল ওকণি আৰু লগত এটা ক'ৰবাৰ গৰাকী নোহোৱা কুকুৰ। তাৰ একো বেয়া লগা নাই যুদ্ধবন্দীৰ দৈনন্দিন জীৱন। তাৰ ভাল লাগিছে নিমখৰ সলনি বাৰুদৰ খাৰেৰে সিজোৱা ঘোঁৰাৰ মঙহৰ আঞ্জা, ওৰে ৰাতি টোপনিত তেজ শুহি থকা ওকণিৰ কামোৰ আৰু বুকুৰ মাজত সাৰটি লৈ থকা অচিনাকি কুকুৰটো। সিহঁত সকলোবোৰে মিলি তাক দেহৰ উত্তাপ যোগাইছে। হঠাৎ সি উপলব্ধি কৰিছে, পৃথিৱীৰ সকলো বান্ধোন মিছা—সঁচা মাথোন ঈশ্বৰ, যাৰ পৰা উৎসাৰিত হৈছে পৃথিৱীৰ সকলোবোৰ দুখ আৰু সিবোৰৰ পৰা সম্ভাব্য মুক্তি। সেই বাবেই, সি প্ৰত্যেক ৰাতি শুৱৰ সময়ত উচ্চাৰণ কৰে একে আচহুৱা প্ৰাৰ্থনা : 'হে ঈশ্বৰ! মোৰ টোপনিতো আনি দিয়া সৌ প্ৰকাণ্ড শিলটোৰ দৰে, যাতে পুৱা হ'লে সাৰ পাই উঠোঁ উখহি এটা পাওঁকটিৰ দৰে'।

নানা ভাগ্য বিপৰ্যয়ৰ মাজেদি আহি সেই পিয়েৰ বেজুহভৰ বিয়া হ'ল নাটাছাৰ লগত। দুয়োটাৰে জীৱন কেইবাটাও আঘাতেৰে ক্ষত-বিক্ষত। অৱশেষত, সিহঁতে শান্তিৰ নীড় বিচাৰি পাইছে এক নিৰুত্তাপ দাম্পত্য জীৱনত। পিয়েৰৰ আজিকালি মহানগৰী মস্কোৰ প্ৰেমোচ্ছল জীৱনৰ প্ৰতি কোনো আকৰ্ষণ নাই। নাটাছাও ব্যস্ত হৈ থাকে, ঘৰ-সংসাৰৰ সামান্য সমস্যাবোৰ লৈ। আমাৰ মনত প্ৰশ্ন জাগে, কি প্ৰয়োজন আছিল এই সৰু কথাষাৰকে প্ৰতিপন্ন কৰিবলৈ ইমানখন মহাকাব্যতুল্য উপন্যাসৰ ইমানবোৰ জটিল ঘটনাৱলীৰ এক বিৰাট জটাজাল ৰচনা কৰাৰ?

আমাৰ পৰিচিত 'মহাভাৰত' পঢ়ি উঠাৰ পাচতো সেই একেটা প্ৰশ্নই উদিত হয়। 'মহাভাৰত'ৰ নায়ক যুধিষ্ঠিৰ যক্ষৰূপী ধৰ্মৰ ১২৬ টা প্ৰশ্নৰ—বহুতে ভবাৰ দৰে মাথোন চাৰিটাৰ নহয়—মুখামুখি হৈছিল। ধাৰণা হয়, 'মহাভাৰত'ৰ সমস্ত ঘটনাৱলী যেন সেই অসংখ্য প্ৰশ্নৰ প্ৰতিটো উত্তৰৰে প্ৰতিধ্বনি। যুদ্ধৰ শেষত যুধিষ্ঠিৰৰ গ্লানিমুক্তিৰ বাবে আয়োজিত হৈছিল বিৰাট ৰাজসূয় যজ্ঞ। তাৰ পাচত অশ্বমেধ যজ্ঞ। হঠাৎ এটা নেউলৰ আবিৰ্ভাৱ ঘটিল আৰু শুনিবলৈ পোৱা গ'ল তাৰ অভাবিত নিন্দাবাণীৰ উচ্চাৰণ। বনপৰ্ব্বৰ শেষ চাৰিটা প্ৰশ্নৰ প্ৰথমটোৰ উত্তৰ যেন প্ৰতিধ্বনিত হৈ উঠিল : 'হে জলচৰ! নিধনৰা আৰু অপ্ৰবাসী হৈ দিনৰ পঞ্চম ভাগত যিজনে নিজৰ কুটিৰত এমুঠি শাকৰ আঞ্জাৰে ভাত বান্ধিব পাৰে, তেওঁৰেই সুখী।"

আবহমান কাল ধৰি পৃথিৱীৰ সকলো দেশৰ শ্ৰেষ্ঠ সাহিত্যিই এইষাৰ পৰম সত্যকেই নানা ৰূপে নানা ভংগীৰে কৈ শেষ কৰিব পৰা নাই। চিৰকালৰ সাহিত্য তীৰ্থৰ যাত্ৰী ৰসিক পাঠকে চিৰকলীয়া ছাত্ৰ যুধিষ্ঠিৰৰ দৰে এই সত্যৰ অন্বেষণতেই উপন্যাসৰ পাত লুটিয়ায়, নাটঘৰলৈ গৈ নাট চায় আৰু মহাকাব্যৰ ছন্দত অৱগাহন কৰে। শেষ-বিংশ শতিকাৰ ডাঙৰ দুৰ্ভাগ্য, এই যুগৰ সকলো লেখকে মাথোন ভংগীৰ নতুনত্ব বিচাৰিয়েই হাবাথুৰি খাইছে। সকলো কবিয়েই কেৱল শব্দৰ সুন্দৰ মুখৰ প্ৰেমত পৰিছে। আৰু সকলো পাঠকেই 'ক্লাচিক্স'ৰ সলনি 'কমিক্স'ৰ তাঁৰবাৰ্তাৰ ভাষাৰে লেখা ইটো সিটো পঢ়ি সময় সঞ্চয় কৰিছে। কোনেও পঢ়িব নোখোজে, ৰোমা ৰোঁলাৰ 'জঁ ক্ৰিষ্টোফ' অথবা গেলছৱৰ্থিৰ 'ফৰচাইট ছাগচ। সকলোৰে কাৰণে হৈ উঠিছে, 'মেগা ৰিবলিওন মেগা কাকোন' অৰ্থাৎ ডাঙৰ কিতাপ মানেই ডাঙৰ জঞ্জাল।

আচলতে জঞ্জালটো আমি নিজেই চপাই শেষোঁ। শেষ-বিংশ শতিকাৰ সাহিত্য ঘাইকৈ ভংগীসৰ্বস্ব হৈ উঠিছে। সাহিত্যৰ ৰসবস্তু আংগিকৰ সুৰংগ-পথত হেৰাই যাবলৈ ধৰিছে। বহু সময়ত সমালোচকসকলৰ কোলাহলতো ৰসিক-পাঠক ভ্ৰান্ত পথে চালিত হৈছে। সন্দেহ নাই, আলবেয়াৰ কামুৰ 'দ্য ফল' অথবা 'দ্য আউটচাইডাৰ' দৰ্শন হিচাপে প্ৰশংসনীয় ৰচনা; কিন্তু উপন্যাস হিচাপে তেওঁৰ 'দ্য প্লেগ'খন এক অতুলনীয় সৃষ্টি। 'দ্য প্লে'গ'ত ভাৱবস্তু আৰু ৰূপবন্ধৰ অপূৰ্ব সমন্বয় ঘটিছে। ইখনে প্ৰমাণ কৰে, আংগিকৰ মূল্য মাথোন সিমানখিনিলৈকে, যিমানখিনিলৈকে ই উপন্যাসৰ ভাৱবস্তুৰ উজ্জ্বলীকৰণত সহায় কৰে। উপন্যাস উপন্যাসেই। ই দাৰ্শনিকৰ স্বৰ্গতোক্তিও নহয়, ৰসায়ন বিজ্ঞানীৰ জটিল ৰাসায়নিক মিশ্ৰণৰ বিচিত্ৰ প্ৰক্ৰিয়াও নহয়।

এইষাৰ কৰা আমাৰ যুগৰ যদি কোনোবাই কৈছিকৈ পাহৰিছে, তেনেহ'লে এদল কবিয়ে। তেওঁলোকে কবিতাক এনে এটা ডবলৈ লৈ গৈছে, য'ত কবিতা হৈ পৰিছে সাংগীতিক ব্যাকৰণৰ বিচিত্ৰ অংগ-সংস্থানেৰে ধ্ৰুপদীৰ প্ৰতিদ্বন্দ্বী শিল্প। সেই শিল্পবস্তু

'স্মৰণীয় বাক্যপুঞ্জ'ৰ অতীত ৰহস্যৰ কুঁৱলীয়ে ঢাকি থোৱা ধুৱঁলি কুঁৱলি কিবা এটা হৈ পৰিছে। মানি লওঁ এইষাৰ কথা সম্পূৰ্ণ সঁচা, কবিতা কেৱল বিন্যাসৰ বেমেজালিৰে সজাই তোলা পদ্যৰ ভাষাত গদ্যৰ বাণী নহয়। কিন্তু এইষাৰ কথাও সমানেই সঁচা, কবিতা কেৱল মুঠি মেলি দিলে উৰি গুচি যোৱা হাতেৰে খামুচি অনা কৰ্পূৰৰ লেখীয়া শব্দৰ সপোন-ভাৰ মাথোন নহয়। সুখৰ কথা, আমাৰ কেইজনমান কবিয়ে সেই দুয়োষাৰ কথাৰ উমান পাইছে। সেইবাবেই, তেওঁলোকৰ কবিতাত ব্যঞ্জনাসমৃদ্ধ এনেবোৰ 'স্মৰণীয় বাক্য' উচ্চাৰিত হ'ব পাৰিছে ঃ 'দেশ বুলি ক'লে আদেশ নালাগে'।

এষাৰ কথা এইখিনিতে কৈ থ'ব খুজিছোঁ। মাৰ্ক্সীয় ধ্যান-ধাৰণাৰে উদ্বুদ্ধ আমাৰ বহুতো সাহিত্যিকে জাতীয় মানসৰ যিকোনো অভিব্যক্তি থকা সাহিত্যকৰ্মকে সমাজতান্ত্রিক বাস্তৱবাদী সাহিত্যচেতনাৰ প্রতিকূল বুলি একেষাৰ কথাৰে বাতিল কৰি দিব খোজে। তেওঁলোকে এষাৰ কথা পাহৰি যায়, সাহিত্য আৰু ৰাজনীতিৰ তুলাচনী দুখন সুকীয়া। মিটাৰৰ জোখেৰে কাপোৰহে জুখিব পাৰি-গাখীৰ জুখিব নোৱাৰি। গাখীৰ লিটাৰৰ জোখেৰেহে জোখে। মানদণ্ড আৰু বস্তুৰ মাজত থকা এই মৌল সম্পৰ্কটোৰ কথা মাৰ্ক্স আৰু এংগেলছে বঢ়িয়াকৈ জানিছিল; নাজানে মাথোন ভৰিৰ সৰু-গাঁঠিতো পথাৰৰ বোকা নলগা মূৰগধুৰ দুই এজনে। মাৰ্ক্স আৰু এংগেলছে বহু ঠাইত জাতীয় সাহিত্যৰ, তথাকথিত বুৰ্জোৱা সাহিত্যৰো উচ্ছলিত প্রশংসা কৰি থৈ গৈছে। ঊনবিংশ শতিকাৰ কেইবাজনো কথাশিল্পী-ডিকেন্স, থেকাৰে' আৰু এমিলি ব্রন্‌টি প্রভৃতিৰ সম্পর্কে মাৰ্ক্সে স্পষ্টকৈ লিখি থৈ গৈছে, তেওঁলোকৰ 'আনুপুংখিক চিত্রসমৃদ্ধ উদ্বেলিত পৃষ্ঠাবোৰে পৃথিৱীক বক্তিগত ৰাজনীতিবদ, জনতাবাদী আৰু নীতিবাদী সকলোৱে গোট খাই যিখিনি ৰাজনৈতিক আৰু সামাজিক সত্যৰ বার্তা দিছে, তাতকৈ বহু বেচি সেই ধৰণৰ সত্য উচ্চাৰণ কৰিছে।' সেইদৰে লেনিনেও ৰাছিয়াৰ ৰমন্যাসিক কবি পুস্কিনক আৰু মাও ঝে ডুঙেও চীন দেশৰ ৰমন্যাসিক কবি লি পোক আপোন আপোন দেশৰ ৰৱণীয় শ্রেষ্ঠ কবি বুলি প্রশংসা কৰিবলৈ পাহৰা নাছিল। সেইবুলি তেওঁলোকৰ কোনোজনেই আৰ্থ-সামাজিক বিশ্লেষণৰ লগত সম্পর্কহীন উগ্র জাতীয়তাবাদক দীঘলীয়া লেজুও দিয়া নাছিল। দেশখনৰ মাটিৰ জ্ঞান যিকোনো সামাজিক দায়বদ্ধ লেখকৰ বাবে অতি প্রয়োজনীয়। সুখৰ কথা, আমাৰ কেইবাজনো তৰুণ লেখকে সেই প্রয়োজনীয় জ্ঞানৰ পৰিচয় সুন্দৰকৈ দাঙি ধৰিছে। এই সন্দর্ভত মই দুজন লেখকৰ দুখন উপন্যাসৰ কথা স্মৰণ কৰিছোঁ। এখন হ'ল, বসন্ত দাসৰ 'জংছন'; আনখন পোলেন ৰৰকটকীৰ 'এজন দধীচিৰ অন্বেষণত'। প্রথমখনত বিধৃত লৈছে, সমাজৰ আটাইতকৈ তলৰ মহলাৰ জীৱন-অতি ঘনিষ্ঠ অভিজ্ঞতাৰ আধাৰপাত্রত। দ্বিতীয়খনত আছে, নিম্ন মধ্যবিত্তৰ ব্যাধিগ্রস্ত জীৱনৰ প্রতিচ্ছবি।

সাহিত্যৰ নিষ্ঠাবান ছাত্রৰ কাৰণে তেওঁ মাৰ্ক্সীয় হওক, অ-মাৰ্ক্সীয় হওক-পৃথিৱীৰ কোনো সৃষ্টিশীল সাহিত্য-গ্রন্থই অপাঠ্য নহয়। কোনো অ-মাৰ্ক্সীয়ই মেক্সিম গৰ্কীৰ 'দ্য মাদাৰ'খন পঢ়ি মুগ্ধ নোহোৱাকৈ থাকিব নোৱাৰে।, পাবলো নিৰুদাৰ অথবা মায়াভ্স্কিৰ কবিতা পঢ়ি আত্মহাৰা নোহোৱাকৈ থাকিব নোৱাৰে। ঠিক সেইদৰে, কোনো মাৰ্ক্সীয়ই ডষ্টয়েভ্স্কিৰ 'ব্রাদার্ছ কাৰামাজোভ' অথবা টমাছ মানৰ 'দ্য হলি ছিনাৰ' পঢ়ি চিন্তাৰ বিশালতাত বুৰ নোযোৱাকৈ থাকিব নোৱাৰে, ডাইলান টমাছ অথবা খলিল জিব্রানৰ কবিতা পঢ়ি জীৱনৰ বিপুলতা অনুভৱ নকৰাকৈ থাকিব নোৱাৰে। পোনৰ ডোখৰ সময়ত চোভিয়েট ৰাচিয়াত 'ব্রাদার্ছ কাৰামাজোভ' নিষিদ্ধ গ্রন্থৰ তালিকাতে সোমাই পৰিছিল বুলি ক'ব পাৰি। কিন্তু, সমাজতান্ত্রিক বাস্তৱবাদী সাহিত্যৰ প্রবক্তা ৰেনে ৰেলেকৰ দৰে সমালোচকে ভুল ভাঙি দিবলৈ সৰহ দিন নলগিল। কছ দেশৰ ৰাজনৈতিক নেতৃত্ব দিয়া পাঠকেও বুজি পালে, টলষ্টয় আৰু ডষ্টয়েভ্স্কি দুয়ো ৰাছিয়াৰ আত্মাক বন্দী কৰি থৈছে, তেওঁলোকৰ উপন্যাসকেইখনত-নিজৰ নিজৰ ভংগীয়ে। টলষ্টয়ে দাঙি ধৰিছে জীৱনৰ বিশালতা আৰু ডষ্টয়েভ্স্কিয়ে অংকিত কৰিছে জীৱনৰ গভীৰতা। ঠিক সেইদৰে, সমাজতন্ত্রৰ নামত সাত কিল মৰা পশ্চিমৰ দেশবোৰে বুজিব পাৰিছে, গৰ্কীৰ সাহিত্যত আৰু ছলোকভৰ সৃষ্টিত আছে কি এক দৃপ্ত কণ্ঠস্বৰ, মানুহৰ সম্মিলিত শক্তিৰ অপৰাজেয় ৰূপৰ ব্যঞ্জনা! শ্রেষ্ঠ সাহিত্য শ্রেষ্ঠ সাহিত্যই। দেশ-কালৰ সকলো সংকীর্ণতাৰ অতীত সেই সাহিত্য সমগ্র মানৱ জাতিৰ সি উমৈহতীয়া উত্তৰাধিকাৰ। 'মহাভাৰত' ভাৰতৰ ক'লা মানুহৰ সৃষ্টি বুলি তাৰ মূল্য 'ইলিয়াদ'ৰ তুলনাত কমি নেযায়। ৰবীন্দ্রনাথ বংগদেশত উপজিছিল কাৰণেই তেওঁ কেৱল বংগদেশৰ কবি নহয়, ভাৰতৰোন নহয়—সমগ্র বিশ্বৰ, ঠিক যিদৰে চেক্সপীয়েৰ অথবা সৌ সিদিনা পৃথিৱীয়ে চিনি পাই যোৱা ৰ'ল চয়িংকা!

আমাৰ এটা অভ্যাস স্বভাৱত পৰিণত হৈছে। সেয়া হ'ল, যিকোনো সাহিত্যৰূপৰ আদর্শ হিচাপে আমি মাথোন পশ্চিমৰ খিৰিকীখনেৰেই জুমি চাওঁ। আধুনিক জাপানী সাহিত্যৰ তিনিজন শ্রেষ্ঠ ঔপন্যাসিকে আমাৰ কাৰণে এক নতুন ধৰণৰ উপন্যাস-

সাহিত্যৰ আদৰ্শ দাঙি ধৰিছে। তাৰ জুতি ল'বলৈ হ'লে, অন্ততঃ এইকেইখন উপন্যাস পঢ়ি চাব পাৰি : য়াচুনাৰি কাৱাবাতাৰ 'তুষাৰ দেশ' (দ্য স্ন' কাণ্ট্রি), য়ুকিঅ মিছিমাৰ 'তৰংগ-ধ্বনি' (দ্য চাউণ্ড অব্ ৱে'ভ্চ), আৰু ওছামু দাজাইৰ 'অন্তমিত সূৰ্য' (দ্য ছে'টিং চান)। এইকেইখন উপন্যাসে এই বস্তুটোৰ সন্ধান দিছে, জাতীয় সাহিত্যৰ শিল্পৰূপ জাতিৰ দৈনন্দিন জীৱনধাৰাৰ অন্তৰালত থকা বিশিষ্ট কল্পনা-প্রতিভাৰ লগত গভীৰভাৱে সম্পৃক্ত। তাৰ ব্যত্যয় হ'লেই যিকোনো সাহিত্য-প্রচেষ্টা মাটিৰ মলাত ৰোৱা বনৰীয়া ফুল হৈ পৰে। আনহাতে, মানি ল'ব লাগিব, এই কোঁচ খাই অহা পৃথিৱীখনত কোনো বাহিৰ-পৃথিৱীৰ লগত সম্পর্কহীন বিচ্ছিন্ন সৃষ্টিৰেও জাতীয় সাহিত্যৰ সোণৰ দেউল বান্ধিব নোৱাৰি।

বিশ্বসাহিত্যৰ ধ্যান-ধাৰণাৰ এইখিনি উমান লৈয়েই সাহিত্য-সংক্রান্ত শেষ প্রশ্নটোলৈ আহোঁ : যিসকল অসমীয়া লেখক আহি সাহিত্য-মন্দিৰৰ তোৰণদ্বাৰত থিয় হৈছেহি, তেওঁলোকৰ ধ্যান-ধাৰণাই সঠিক বাটটো লৈছে নে? মোৰ ধাৰণা, আমাৰ বহুতেই যেনে তেনে লেখক হৈ যোৱাৰ পাৰপত্র সংগ্রহ কৰাত ব্যস্ত হৈ পৰিছে। তেওঁলোকৰ সৰহভাগেই শব্দৰ বিন্যাসত ক্রমৰ বেমেজালি সৃষ্টি কৰিয়েই কবি হৈ পৰাৰ সহজ বাট এটা বিচাৰি ফুৰিছে। আন কিছুমানে ৰাজনৈতিক ধ্যান-ধাৰণাৰে ৰঙচুৱা, বেঙুনীয়া আৰু সেউজীয়া শ্লোগানবোৰকেই গোটাই-মেলি একে ঠাইতে থিয় হৈ দুটা গীৰ্জাৰ ঘণ্টা বজাই কবি হ'ব পৰাৰ আনটো সহজ বাট বিচাৰিছে। কবি হোৱাৰ অথবা অন্য যি কোনো এটা সাহিত্যৰূপৰ সাধক হৈ পৰাৰ বাবে আটাইতকৈ আৱশ্যকীয় বস্তুটো হ'ল, আপোন প্রতিভাক সঠিকভাৱে চিহ্নিত কৰিব পৰাৰ সামর্থ। তাৰ পাচত লাগিব, ক্লান্তিহীন অনলস সাধনা। দুখৰ কথা, আমাৰ যিসকলে সাহিত্যৰ বাৰেমতৰা সাধিবলৈ লৈছে, তেওঁলোকৰ মাজত দুয়োটাৰে অলপ নাটনি ঘটিছে। তাৰ বাবে মই তেওঁলোকক অকণো দোষ দিব খোজা নাই। এয়া আমাৰ জাতীয় জীৱনৰ সামগ্রিক ধ্যান ধাৰণাৰে প্রতিফলন।

এইখিনিতে অকণমান ফালৰি কাটি গৈ আমাৰ জাতীয় জীৱনৰ পৰিস্থিতিটো সম্পর্কে দুটামান কথা কৈ ল'ব খুজিছোঁ। কাৰণ, সেই কথাখিনি কৈ ল'লেহে আমাৰ নতুন লেখসকলক আগচি ধৰা সমস্যাটো সম্পর্কে পৰিষ্কাৰকৈ ক'ব পাৰিম। আমাৰ জাতীয় জীৱনত যিটো ঘটিছে, সেয়া হ'ল অধ্যবসায়ৰ প্রকাণ্ড বিস্ফোৰণ আৰু সাধনাৰ প্রায়-সম্পূর্ণ নির্ব্যাপন। যিকোনো ক্ষেত্রতে অধ্যবসায় বোলা বস্তুটো হ'ল. সহজ স্বীকৃতি লাভৰ বাবে কাঙাল স্বপ্নৰ অনুগমন। খটখটিৰ শেষত যিকোনো অধ্যবসায়ীৰ বাবে আছে খ্যাতি, ক্ষমতা, ঐশ্বর্য ইত্যাদি জীৱিকা-নির্বাহৰ সকলোবোৰ উপকৰণৰ এক বিৰাট পোহাৰ। আনহাতে, সাধনা বোলা বস্তুটোৰ লগত জড়িত হৈ আছে কিছুমান মূল্যবোধৰ প্রতি সুগভীৰ আসঞ্জনশীলতা। সেই সাধনাৰে কোনো ধৰণৰ খটখটিতেই উঠিব নোৱাৰি, মাথোন ধূলিৰে খমলা বন্ধা কাঁইটে আগচি থোৱা বাটহে অতিক্রম কৰিব পাৰি। কিন্তু মূল্যবোধৰ প্রতি সুগভীৰ আনুগত্যেৰে যিটো বস্তুৰ অহৰহ পৰিচয় সংগ্রহ কৰিব পাৰি, সেয়া হ'ল জীৱন-যাপনৰ মন্ত্র। সেই কথাষাৰকে জার্মান কবি গ্যটেই তেওঁৰ নিজস্ব ভংগীৰে এইদৰে কৈছিল, "গৈ ওলোৱাতকৈ গৈ থকাটোৱেই শ্রেষ্ঠতম'।

এষাৰ কথাৰ চলন্তি আছে, সিংহিনীৰ গাখীৰ মাথোন সোণৰ চৰুতহে থ'ব পাৰি। যদি সেয়ে হয়, তেনেহ'লে মূল্যবোধৰ প্রতি নিষ্কম্প দায়বদ্ধতাৰে ব্যক্তিগত চৰিত্রৰ সকলো শুচিতাক সমাজ-জীৱনৰ স্বপ্নৰ লগত জড়িত কবি ৰাখিব পৰাটোৱেই সেই সোণৰ চৰুটো। সেই সোণৰ চৰুটোৰ ভাগুৰী হ'ল, সমাজ-জীৱনৰ শীৰ্ষস্থানীয় লোকসকল। সেইবাবে, শিখৰলোকত সমাসীন সকলোৱেই 'গীতা'ৰ এই স্তৱকটো ভুলতো পাহৰি নোযোৱাকৈ কাম কৰাটো বাঞ্ছনীয় :

শ্রেষ্ঠজনে যিবোৰ কর্মৰ যেনেদৰে কৰে আচৰণ,
সর্বজনো চলে সেই পথে আঁত ধৰি প্রতিটো খোজতে;
শ্রেষ্ঠই প্রতিষ্ঠা কৰে মানদণ্ড পূর্ণ জীৱনৰ,
আদর্শৰ ধ্রুবতৰা সেই মানদণ্ড বহুতৰ প্রাকৃতজনৰ।

সেয়ে নহ'লে, শুচিতাৰ স্খলন সংক্রামক হৈ পৰে, জাতিৰ সাধনাই বাট হেৰুৱায়। অতি দুখেৰে সৈতে লক্ষ্য কৰিছোঁ, আমাৰ জাতীয় জীৱনৰ প্রতিটো ক্ষেত্রতে অধ্যবসায়েই সাধনা বুলি চিহ্নিত হ'বলৈ লৈছে। এনে এটা পৰিপ্রেক্ষিতত একেটা সময়তে আনন্দেৰে লক্ষ্য কৰিছোঁ, অন্ততঃ দুজন তৰুণ কবি দুৰূহ সাধনাত ব্রতী হৈছে। এজন ৰফিকুল হুছেইন, যিজনে তেওঁৰ শৰবিদ্ধ আকাশ'খনৰ পাতত সমকালৰ ঘটনা-পৰম্পৰাত চিৰকালৰ মূল্যবোধ অন্বেষণ কৰিছে। তেওঁৰ হৃদয়তন্ত্রীত বাজি উঠিছে,

শৰবিদ্ধ সময়ৰ মূর্ছনা। আনজন নীলিম কুমাৰ-এক ছদ্মনামত ঢাক খাই থাকিব খোজা কবি, যিজনে ৰচনা কৰিছে 'আচিনাৰ অসুখ'—যি অসুখ আচিনা আৰু আচিনা, দুয়োটাৰে। তেওঁ আপোন হৃদয়ৰ গভীৰ গুহাতে সন্ধান লৈছে, বিশ্বখনৰ চোতালৰ খবৰ। আৰু আছে কেইবাজনো কবি, যিসকলে যুদ্ধৰ পাচতো সৈনিকৰ সাজ খহাই পেলোৱা নাই। অনাগত যুগৰ কবি হিচাপে তেওঁলোকৰ প্ৰত্যেকলৈকে ৰ'ল, লীয়মান আৰু অনুচ্চ প্ৰতিভাৰ অন্য এজন সামান্য কবিৰ এক প্ৰীতি-নমস্কাৰ। আৰু আছে কেইজনমান উজ্জ্বল নাম—দেৱব্ৰত দাস, মনোজ গোস্বামী আৰু প্ৰশান্ত ৰাজগুৰু। তেওঁলোকলৈয়ো ৰ'ল, হৃদয়ৰ উমেৰে উমাল এমুঠি শুভেচ্ছা। লগতে, যিসকল লেখক এতিয়াও পোহৰলৈ ভালকৈ ওলোৱা নাই, তেওঁলোকলৈ ৰ'ল, মোৰ একেটি মাথোন উপদেশ 'বাইবেল'ৰ সেই কথাষাৰ ঃ 'আটাইতকৈ ওখ গছজোপাতকৈয়ো ওখ গছ গজিব পাৰে'।

আমাৰ সাহিত্য বহুতো বিষয়তে দুখীয়া। তাৰ ভিতৰত আটাইতকৈ প্ৰয়োজনীয় সমালোচনা-সাহিত্য অভাৱনীয়ৰূপে নাটনিৰে ভৰা। স্বাধীনতাৰ পাচত কোনো মৌলিক সমালোচনাৰ চাট থকা একোৰেই ওলোৱা নাই বুলিয়েই ক'ব পাৰি। ড° হীৰেণ গোঁহাইৰ সমালোচনা-গ্ৰন্থকেইখনেই উল্লেখযোগ্য ব্যতিক্ৰম। লগতে যোগ দিব পাৰি, ভবেন বৰুৱাৰ কবিতা সম্পৰ্কীয় সমালোচনামূলক প্ৰবন্ধকেইটা। সমালোচনাৰ নামত ওলোৱা বাকী সৰহখিনিয়েই সাহিত্য-বুৰঞ্জীৰ একোটা অধ্যায়ৰ ক্ষীণ প্ৰতিধ্বনি। সমালোচনা-সাহিত্য চহকী নহ'লে, সৃষ্টিশীল সাহিত্যৰ লেখকসকলে সঠিক বাটৰ উমান নেপায়। তেনেকুৱা ভাষাৰ সাহিত্য মাথোন আলোকস্তম্ভ নোহোৱা সাগৰৰ নাও-জাহাজৰ লক্ষ্যবিহীন গতিষ বীৰেশ্বৰ বৰুৱাৰ 'ৰামধেনু যুগ আৰু পৰৱৰ্তী কাল' শিতানৰ পুথিখনে কিছুমান কথাৰ মৌল আলোচনাৰ বাট কাটি দিব লাগিছিল। দুখৰ কথা, সিখনৰ গা'ত আঁউজি মাথোন ভালপোৱা-বেয়াপোৱাৰ মুখবোচক গন্ধৰহে উজান উঠিল। ড° দিলীপ বৰুৱাৰ অকলশৰীয়া প্ৰবন্ধ এটো মাথোন তাৰ উল্লেখযোগ্য ব্যতিক্ৰম। দুয়োজন বৰুৱালৈকে দুটা মৰমৰ উমাল চালাম ৰ'ল।

ভাল ভাঙনি-পুথিৰো নাটনি এটা অনুভৱ কৰিবলগীয়া হৈছে। ছেগা-চোৰোকাকৈ ভাঙনি-পুথি ওলাইছে; কিন্তু সৰহভাগেই মূলৰ পৰা কৰা নহয় যেন লাগে। অমূল্য চক্ৰৱৰ্তীৰ 'ইলিয়াদ', 'ওডিছী' আৰু পুথিৰ ৰূপত এতিয়ালৈকে অপ্ৰকাশিত 'ইনীদ'ৰ লেখীয়া হ'লেহে ভাঙনি পাগত উঠে। মোৰ ধাৰণা, এইটো বিষয়ে সাহিত্য সভাৰ আঁচনিসমূহৰ ভিতৰত আগ ঠাই পাব লাগে। আগতীয়া গ্ৰাহক কৰাৰ আঁচনিৰে অহা বছৰটোৰ ভিতৰতে অন্ততঃ ৪০ টা খণ্ডত সম্পূৰ্ণ 'পৃথিৱীৰ যাউতিযুগীয়া উপন্যাসমালা' শিতানৰ এটি গ্ৰন্থমালা প্ৰকাশিত হোৱাটো অত্যন্ত বাঞ্ছনীয়। এজেন সাধাৰণ সম্পাদকৰ তত্ত্বাৱধানত এদল আমাৰ ভাষাৰ ওপৰত ভাল অধিকাৰ থকা ভাঙোতা-লেখক উপযুক্ত পা�ৰিশ্ৰমিকৰ বিনিময়ত নিযুক্ত কৰিব লাগে। কাম আ�ৰম্ভ কৰিবৰ জোখাৰে তাহানিৰ 'আৰাহন'খনিৰ পাতত কেইবাখনো সুন্দৰ ভাঙনি-উপন্যাস সিঁচৰতি হৈ পৰি আছে। উদাহৰণস্বৰূপে, নলিনীকান্ত বৰুৱাই কৰা ৰেমাৰ্কৰ 'পশ্চিম সীমান্তত পূৰ্ণ শান্তি', দয়ানন্দ বৰুৱাই কৰা গৰ্কীৰ 'মাতৃ' আৰু হৰেণ কলিতাই কৰা ডিকেন্সৰ 'নগৰ দুখনৰ কথা'—এইকেইখনৰ নাম সুঁৰৰিছো। তদুপৰি আৰু কেইখনমান তেনেকুৱা ভাঙনি-উপন্যাস অ'ত-ত'ত দুষ্প্ৰাপ্য পুথি বুলি ক'ব পৰাকৈ সিঁচৰতি হৈ আছে। এনেকুৱা পুথিকেইখন আলোচনীৰ পাতৰ পৰা ততাতৈয়াকৈ বুটলি আনিলেই হ'ল। এইখিনি পুথি প্ৰকাশ হয়গৈ মানে বাকীখিনি পুথিৰ পাণ্ডুলিপি হাতলৈ অহাৰ ব্যৱস্থা কৰিব লাগিব। বিনোদ কাননগু নামৰ এজেন মানুহে অকলশৰীয়া পৰিশ্ৰমেৰে ৩৫ টা খণ্ডৰ এখন বিশ্বকোষ আৰু ৭৫ টা খণ্ডৰ এখন নতুন আনুপুংখিক বিশ্বকোষ আগতীয়া গ্ৰাহক-সংগ্ৰহ আঁচনিৰে ওড়িয়া ভাষাত প্ৰকাশ কৰি অসাধ্য সাধন কৰি দেখু�ৱালে। আমিনো বাৰু ইমানখিনি উপযুক্ত অৰ্হতাসম্পন্ন ডেকা-গাভৰু লৈ তাতোকৈ সহজ এটা কাম কৰি উঠিব নোৱাৰিম নে? আমাৰ ভাষাতো ড° কনক মহন্তই দেখোন অকলশৰীয়া পৰিশ্ৰমেৰে চাৰিটা খণ্ডৰ এখন 'বিশ্বকোষ' যোগান ধৰি দেখুৱালে। আন একো নালাগে; লাগে মাথোন অকণমান স্বদেশপ্ৰেম। এই কামটো যেনে তেনে অহা বছৰটোৰ ভিতৰতে কৰি উলিয়াব লাগিব। সময় কাৰেকো বৈ নাথাকে। গান্ধীজীয়ে বেলেগ এটা প্ৰসংগত এষাৰ কথা কৈছিল, "সাগৰৰ পানী হ'লেও, এটোপাল পানী একো কামত নাহে। কিন্তু, বহুত টোপাল পানী গোট খাই সাগৰ হৈ পৰিলে, সিখনৰ ওপৰত বিৰাট এটা নৌ-বাহিনীকো ওপঙাই থ'ব পাৰি।" সেইটো বিশ্বাসেৰে কামত ধৰিলেই, এই সৰু অথচ লাগতিয়াল কামটো নিশ্চয় কৰিব পৰা যাব।

যোৰহাট আঞ্চলিক গৱেষণাৰে এটা বৰ মহৎ কাম কৰি আছে। তেওঁলোকে ড° দীনেশ চন্দ্ৰ গোস্বামীৰ তত্ত্বাৱধানত 'দৃষ্টি' শিৰোনামাৰে এলানি অতি সুন্দৰ আৰু সহজবোধ্য বিজ্ঞান-সংক্ৰান্ত বিষয়ৰ পুথি নিয়মীয়াকৈ যোগান ধৰিছে। এতিয়ালৈকে

সাতখন পুথি প্রকাশিত হৈছে। আকৌ, বিনোদ কাননগুৰ কথা মনত পৰিছে। সিজনাই থিৰাং কৰিছে, বছৰৰ প্ৰতিটো দিনেই পঢ়ি শেষ কৰিব পৰাকৈ ৩৬৫ খন তেনেকুৱা পুথি ওড়িয়া ভাষাত ছপাই উলিয়াব। এতিয়ালৈকে ৫০ খন পুথি ওলাল। আমাৰ খোজবোৰো যদি সমানে দীঘলীয়া হয়!

আমাৰ ভাষাত শিশু আৰু চেমনীয়াই পঢ়িব পৰা পুথিৰ নাটনিও মাজে মাজে অনুভৱ কৰিবলগীয়া হয়। তাহানি মোহিনী কান্ত বৰুৱাই ওলন্দাজ লেখিকা মার্ডো ত্ৰয়েলষ্ট্ৰাই নিন্‌কে ভেন হিখ্‌টুম ছন্ননামত লেখা 'আফ্‌কেজ টিয়েন্‌টেল' নামৰ পুথিখনৰ ছাঁ লৈ লেখা 'পমিলিৰ পৰিয়াল'খনৰ কথা মনত পৰে। ভাষাত ভাঙনিৰ একো সাঁচেই নাই। এনেকুৱা এলানি পুথি লেখি উলিওৱাৰ পৰিকল্পনা এটা কোনোবা প্ৰকাশৰ-প্ৰতিষ্ঠানে কৰিব নোৱাৰে নে? এটা কথা মনত ৰখা প্ৰয়োজন, শিশুৰ সাহিত্য বুলিলেই ভাষাত আঁৰ থাকিব নালাগে। মই এবাৰ এটা বাক্যলৈ এটা আবেলি পাৰ কৰি দিবলগীয়াত পৰিছিলোঁ। বাক্যটো আছিল, "you cannot have bacon by mere frying"। অৱশেষত, ভাঙি উলিয়ালোঁগৈ, "ৰ'বাচোন, তেলত জুবুৰিয়ালেই পিঠা হোৱা কোনদিনা শুনিছা?" প্ৰত্যেক শিশুৰ উপযোগী পুথি লেখোঁতে এনেকুৱাবোৰ সমস্যাৰ মুখামুখি হ'বলগীয়া হয়। 'তাৰৈ-আমৈ'ৰ সলনি 'আংকল-আণ্টি' লিখিবলগীয়া হ'লে ভাষাও বিজাতৰীয়া হ'ব, শিশুৰ মনো জধলা হৈ পৰিব। কিন্তু, আমাৰ হাটে-বজাৰে এনেকুৱা পুথিৰ ঘোলা কণী খুন্দ খাই ওলাবলৈ লৈছে। সুখৰ কথা, 'সঁফুৱা' আৰু 'মৌচাক' নামৰ শিশু-আলোচনী দুখনে বাহিৰৰ পৰা অসমীয়া ভাগিন-ভাগনীহঁতলৈয়ো বুলি অহা জধলা ৰুচি আৰু ভঁজুৱা ভাষাৰ ৰংচঙীয়া আলোচনীখন কিলাকুটিয়াই আঁতৰাই পঠিয়ালে। সেই শিশু-আলোচনী দুখনকৈ আমাৰ ওলগ ৰ'ল।

অসম প্ৰকাশন পৰিষদৰ চোতালত এটা দুঃসময়ৰ ছাঁ পৰা বুলি শুনি সকলোৱেই মনোকষ্ট লভিছে। এই অনুষ্ঠানটোৱে বহুতো বিষয়ত গ্ৰন্থ প্ৰকাশনৰ মানদণ্ড উন্নত কৰি দিলে, যোৱা কেইটামান বছৰত। এই অনুষ্ঠানটোলৈ মোৰ দুটামান পৰামৰ্শ আছে। এক, বছৰত এবাৰ-দুবাৰ ৰেহাই মূল্যত পুথিৰ যোগান ধৰি মাথোন পাইকাৰী দোকান কেইখনমানৰ বাবে সৰহীয়া লাভৰ মুখ দেখুওৱাতকৈ সকলোৱে কিনিব পৰাকৈ পুথিৰ বেচ পোনপটীয়াকৈয়ে কমাই ধৰিব লাগে। দুই, কেইখনমান দুষ্প্ৰাপ্য গ্ৰন্থৰ প্ৰকাশনৰ বাবে ততাতৈয়াকৈ ব্যৱস্থা কৰিব লাগে। তিনি, 'বছৰৰ কবিতা' আৰু 'বছৰৰ চুটিগল্প' শিতানত দুখন পুথিত নিয়মীয়াকৈ সেই বস্তুখিনি চপাই আনি ছপাই থোৱাৰ কাম হাতত ল'ব লাগে।

এইটো প্ৰসংগতে মই কেইখনমান পুথিৰ প্ৰকাশনৰ আৱশ্যকতা সম্পৰ্কে অলপ কথা কৈ থ'ব খুজিছোঁ। এগৰাকী কবিতকৰ্মা গৱেষকে মাধৱ কন্দলিৰ 'ৰামায়ণ'খনৰ পাঁচোটা স্কন্ধৰ সমীক্ষিত পাঠ যুগুতাই থৈছে। এই 'ৰামায়ণখনৰ সাহিত্যিক মূল্য সোঁৱৰাই দিয়াৰ প্ৰয়োজন নাই। ড° মনীন্দ্ৰ চন্দ্ৰ নাথে লিখি উলিওৱা অসমীয়া মাধ্যমৰ গৱেষণা গ্ৰন্থখনৰ বেলেগ এটা ঐতিহাসিক মূল্য আছে। এইখনো ছপাৰ আখৰত ওলাব লাগে। ড° বিৰিঞ্চি কুমাৰ বৰুৱা স্মাৰক-গ্ৰন্থৰ এটা প্ৰবন্ধত আমি কেইখনমান মূল্যবান পুথিৰ সন্ধান পাইছিলোঁ। দুখৰ কথা, আজি অত বছৰেও কোনেও তাৰ পম নেখেদিলে। এই আটাইকেয়োখন আৰবী আখৰত 'অহমীয়া জৱান'ৰ পুথি। এখন 'তৰিকুল-ই-হক্ ফি আব্দুল জলক্‌দ আলি (১৭৫৬-১৮৫১)। পোনৰখনত সেই সময়ৰ অসমীয়া মুছলমান সমাজত চলা ধৰ্মীয় কথাযুক্ত গদ্য-পদ্যৰ সুন্দৰ নিদৰ্শন পোৱা যায়। মোৰ টোকা বহীত টুকি থোৱা কথাখিনিৰ পৰা অকণমান দাঙি ধৰিছোঁ। তাকে কৰোঁতে, মাজে মাজে 'হ'বোৰ 'স'লে সলাই দিছোঁ। গদ্যৰ ভাষাত আছে : "এতিয়া যি লোকে মন লগাই নুশুনে কি শুনিলে গুনাহ লাগিব বুলি পলাই ফুৰে, নিশ্চয় পাপী হ'ব। কিয়নো চওৱাৰৰ কাম আৰু নেক কামৰ পৰা পলোৱা চয়তানৰ কাম। এনে কথাত দেখি-কুৰি যাবহে লাগে। বে-ওজৰে পলালে গাফিলী কৰিলে এনে গুনাহ, যেনে কোনো হাকিমে মতালে নোযোৱাৰ নিচিনা।" আৰু, পদ্যৰ ভাষাত আছে 'অহমীয়া জৱান'ত এনেদৰে :

"মৌলুক চৰীফ আৰু দিনী কিতাপ যত আছে ভাই।
সকলোকে নবীৰ কোৰাণ বুলি জানিবা নিশ্চয়।
সেইসকল মজিলচত বহি মন নলগাই যি।
আৰু বেহুদা বক্ বক্ কৰি তামুল আৰু হোকা বিচাৰি খাই।
একো বহমতৰ ভাগ নাপাই সি।।"

এই দুখন পুথি লণ্ডন সংগ্ৰাহলয়ত আছে। দুয়োখন পুথি যুটীয়াকৈ থোৱা জাপটোত ১৭৭ খিলা সাঁচিপাত আছে। এই দুখন

পুথি পোহৰ ছবিৰে সৈতে অসমীয়াত লিপ্যন্তৰেৰে ছপাই উলিয়ালে আমি বহু কথা জানিব পাৰিম ঃ ফুলাম চানেকিৰ বাবে প্রসিদ্ধ আৰবী লিপিয়ে অসমৰ আখৰকটীয়া হাজৰিকাসকলৰ হাতত কি ৰূপ পাইছিল? সেই ৰূপটোৱে অসমীয়া লিপিৰ ওপৰত—বিশেষকৈ গড়গওঁৱা শৈলীৰ ওপৰত কি প্রভাৱ পেলাইছিল? অসমীয়া ভাষালৈ কোনবোৰ আৰবী-ফাৰ্চী শব্দ কেনে গঢ় লৈ সোমাইছিলহি? অসমীয়া পদ্যত ছন্দৰ বিকাশ বিৱর্তনে ক'ত কেনেকুৱা থুনুক-থানাক মাতৰ ৰূপ লৈছিল? ইত্যাদি বহুতো প্রশ্নৰ উত্তৰ।

এনে ধৰণৰ আৰু এখন পুথিৰ সন্ধান সম্পূর্ণকৈ হেৰাই যোৱাৰ বাটত। এইখনৰ বিৱৰণ কোনোবা এজন চেষ্বার্ছৰ দ্বাৰা সংগৃহীত পুথিসমূহৰ বর্ণনামূলক পুথি-তালিকাৰ ১০ নং শিতানত আছে। এইখন আকৌ পাতল আৰু আচল হাতী দাঁতৰ পাততে লিখা। আৰবী আখৰেৰে অসমীয়া ভাষাত লিখা। পুথিখনৰ নামটো তালিকাখনত আছে, 'ঘোষা' বুলি। জিকিৰ-জাৰীৰ শিতানতো 'ঘোষা' কথাষাৰ থাকে। ইখনৰ বিষয়বস্তু হ'ল, দিনাজপুৰৰ পৰা সাদিনৰ বাট খচকি কামৰূপলৈ অহাৰ কাহিনী। এই বিষয়বস্তুৰ অতি তাৎপর্যপূর্ণ। আজান ফকীৰৰ জীৱন-কাহিনীৰ জানিবলৈ নোপোৱা এটা তথ্যকথা হ'ল, সিজনা পোনে পোনে দিল্লীৰ পৰা অসমলৈ আহিছিল নে গৌড় দেশত পীৰ চাহ আচৰফ চাহেবৰ ঘৰত কিছুদিন আলহী খাই আহিছিলি? খুব সম্ভৱ, পাচৰ ঘটনাৰেই ঘটিছিল। আৰু তাৰে সঠিক সন্ধেদ এই পুথিখনত পোৱা যাব পাৰে। সেয়ে হ'লে, অসমীয়া সাহিত্য ইতিহাসত এটি হেৰোৱা সোণৰ মণি ইখনতে দুনাই বিচাৰি পোৱা যাব।

আৰু কেইবাটাও কাম কৰিবলগীয়া আছে। তাৰে এটা হ'ল, অন্যান্য ভাৰতীয় আৰু বিদেশী ভাষাৰ পৰা নিয়মীয়াকৈ অন্ততঃ চুটিগল্প আৰু কবিতাৰ লেখীয়া কণিকা সাহিত্যৰ ভাঙনি বস্তুৰ জোলোঙা লৈ একোখনকৈ সুকীয়া সুকীয়া পুথি দুমাহ-তিনিমাহৰ মুৰে মুৰে ওলাব লাগে। তাকে কৰিবলৈ হ'লে, আমাৰ এদল ডেকা-গাভৰুক ভিন ভিন ভাষাৰ প্রশিক্ষণ দিওৱাৰ ব্যৱস্থা হ'ব লাগে। কাৰণ, ইয়াৰ অবিহনে ভাঙনিয়ে এতিয়াৰ দৰে হয় বাংলা ভাষাৰ, নহয় ইংৰাজী ভাষাৰ আলহী খাই অঁতোৱাৰ পাচতহে আমাৰ ভাষাৰ মজিয়া গচকিবহি। গুৱাহাটী বিশ্বদ্যিালয়ৰ আধুনিক ভাৰতীয় ভাষাৰ বিভাগটো এই উদ্দেশ্যেৰে বহলাব লাগে। এই বিভাগত সকলোকেইটা মূল ভাৰতীয় ভাষাৰ পোহৰ বিলাবলৈ অন্ততঃ দুজনকৈ অধ্যাপক নিয়োগ কৰিলৈ চৰকাৰে যথাযথ দান-অনুদানৰ ব্যৱস্থা কৰিব লাগে। সময়ত এই বিভাগৰ পৰা প্রশিক্ষিত লোকেৰে এটা স্থায়ী 'অনুবাদক সংগঠন' গঢ়ি তুলিব পৰা হ'ব। সেই সংগঠন গঢ় লৈ নুঠালৈকে আন কিছুমান কাম ততাতৈয়াকৈ কৰাৰ প্রয়োজন হৈ পৰিছে। আমাৰ ইংৰাজী জনা মুষ্টিমেয় লেখকসকলৰ হতুৱাই এনেকুৱা অসমীয়া কণিকা সাহিত্যৰ ইংৰাজীলৈ অনুবাদ কৰোৱাৰ ব্যৱস্থাও 'এনচিয়েণ্ট গং' নামৰ হীৰেণ ভট্টাচার্যৰ কবিতাৰ ভাঙনি পুথিখনৰ কথা প্রশংসাৰে স্মৰণ কৰিছোঁ। কামটোৰ ভাৰ প্রকাশন পৰিষদৰ ওপৰত দিব নোৱাৰি জানো?

তাহানিখনেই কলিকতা বিশ্ববিদ্যালয়ে পণ্ডিত হেমচন্দ্র গোস্বামীৰ দ্বাৰ সম্পাদিত সাতোটা খণ্ডৰ 'অসমীয়া সাহিত্যৰ চানেকি'খন প্রকাশ কৰিছিল। এতিয়া সেইখন দুষ্প্রপ্য হৈ পৰিল। সেইখনেৰে আঁত ধৰি যোগ-বিয়োগেৰে সমৃদ্ধ কৰি এখন বৃহত্তৰ 'অসমীয়া সাহিত্যৰ চানেকি' ভালকৈ যুগুতাই আকৌ প্রকাশ কৰাৰ সময় হ'লহি। ইতিমধ্যে, ডঃ নেওগৰ অনুপ্রেৰণাত ড° মুকুন্দামাধৱ শর্মা আৰু ড° ৰামচৰণ ঠাকুৰীয়াৰ তত্ত্বাৱধানত আমাৰ অনেক পুৰণি পুথিৰ সমীক্ষিত পাঠ প্রস্তুত হৈছে। এইবোৰ পাঠৰ পোহৰত চানেকিখন নতুনকৈ যুগুতাই উলিওৱাৰ কাম সহজ হৈ পৰিছে। কামটো যেই-সেই এখন বিশ্ববিদ্যালয়ে কৰি পেলাব লাগে।

সকলো কাম সম্পন্ন কৰাৰ ভাৰ চৰকাৰৰ ওপৰত দিব নালাগে, চৰকাৰেও নিজৰ কান্ধত নিজে চপাই ল'ব নালাগে। পাঠ্যপুথিৰ গোটেই বজাৰখন চৰকাৰে অকল নিজৰ ৰবীয়াকৈ লোৱাৰ ফলত আওপকীয়াকৈ অসমীয়া সাহিত্য ক্ষতিগ্রস্ত হৈছে। বেচৰকাৰী প্রকাশন প্রতিষ্ঠানবোৰে সৰহীয়া পাঠক নথকা অথচ বাটকটীয়া পুথি লালন কৰাৰ ভাৰ হাতত ল'বলৈ সংকোট কৰা হৈছে। কবিতাৰ পুথি, সাহিত্যিক-নাটকৰ পুথি আৰু বিশেষকৈ নতুন লেখকৰ যিকোনো ধৰণৰ পুথি কোনেও ছপা কৰি উলিয়াবলৈ সাহস নকৰা হৈছে। সময় হ'লহি, যেতিয়া বিশ্ববিদ্যালয় দুখনেও অসমীয়া মাধ্যমৰ পাঠ্যপুথিবোৰ প্রকাশনৰ ভাৰ অন্যান্য প্রকাশন প্রতিষ্ঠানসমূহক এৰি দিব লাগে। তাকে নকৰিলে, 'অজান দেশত এলিচ'খনৰ ৰঙচুৱা ৰাণীজনীৰ নিচিনাকৈ অসমীয়া সাহিত্যও ঢপলিয়াই ঢপলিয়াই একেডোখৰ ঠাইতে ৰৈ থকা পৰিস্থিতিটোৰ মুখামুখি হ'ব লাগিব।

অৱশেষত, অসম সাহিত্য সভাৰ সমুখত উপস্থিত হোৱা এটা বিৰাট ঐতিহাসিক দায়িত্বৰ কথা ক'ব খুজিছোঁ। এই দায়িত্ব মোৰহে নেলাগে, মোৰ পৰৱৰ্তী আৰু চাৰি-পাঁচজন সভাপতিৰ কার্যকালতো সম্পূর্ণকৈ পালন কৰি উঠিব পৰা নেযাব। তাৰে পৰিপ্রেক্ষিতত, মোৰ একেটি মাথোন সাংগঠিনক দিশৰ লগত জড়িত পৰামর্শ : প্রধান সম্পাদকজনৰ কার্যকাল সলাই অন্ততঃ দুবছৰীয়া হ'ব লাগে, যাতে সিজনে সকলোবোৰ সৎ সিদ্ধান্তৰ কার্যকৰী ব্যৱস্থা-গ্রহণৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰে। যি বিৰাট ঐতিহাসিক দায়িত্বৰ কথা ক'বলৈ লৈছোঁ, সেয়া সুসম্পন্ন কৰি দিব পৰা অনুষ্ঠান অসমত মাথোন এটাই আছে : অসম সাহিত্য সভা। অৱশ্যে, সেই দায়িত্ব পালনৰ বাবে সাহিত্য সভাই বিচাৰিব, চৰকাৰৰ ঘৰৰ পৰা মুকলি মুঠিৰ দান-অনুদান। মই বৰ বিপন্ন অনুভৱ কৰোঁ, যেতিয়া দেখা পাওঁ অসম সাহিত্য সভাৰ সভাপতিজনে ন্যাস পুঁজিৰ লক্ষ্য পূৰণৰ বাবে গাদীয়ে গাদীয়ে ঘুৰি ফুৰিছে!

আচল কথালৈ আহোঁ। অসমীয়া ভাষাৰ এখন সুবৃহৎ অভিধানৰ প্রয়োজন হৈছে, যিখন অভিধানত অসমৰ বিভিন্ন অঞ্চলৰ সকলোবোৰ ছাঁ-ভাষাৰ পৰা আৰু জনজাতীয় ভাষাসমূহৰ পৰা সংগৃহীত শব্দমালা কৌলীন্যহীন বুলি বর্জিত নোহোৱাকৈ সংকলিত হ'ব, যিখন অভিধানত এতিয়ালৈকে বিভিন্ন সূত্রৰ দ্বাৰা প্রকাশিত 'পৰিভাষা-কোষ' কেইখনৰ শব্দমালা আনুপুংখিক অর্থ ব্যাখ্যাৰ সৈতে সন্নিবিষ্ট হ'ব আৰু ভিন ভনি বাহিৰা ভাষাৰ পৰা অহা আলহী শব্দবোৰো ব্যাকৰণৰ সাঁচত মাৰি সর্বকালৰ অসমীয়া ভাষাৰ পাটত তোলা হ'ব। অকল সিমানেই নহয়, আমাৰ চাহপতীয়া জনগোষ্ঠী আৰু অন্যান্য জনগোষ্ঠীকেইটাৰো সদাব্যৱহৃত আৰু কোনোবা লেখকে ইতিমধ্যে অসমীয়া ভাষালৈ সোণ কমোৱাদি কমাই অনা শব্দবোৰো সতর্কতাৰে গ্রহণ কৰিব লাগিব। আজান ফকীৰে, মহাশিল্পী বিষ্ণু ৰাভাই আৰু অন্যান্য বহুত লেখকে তেনেকুৱা ঢেৰ শব্দ অসমীয়া ভাষাৰ বৰঘৰৰ ভিতৰলৈ সুৱাগুৰি তুলি আনি থৈ গৈছে। কিমান যে আলফুলীয়া শব্দ সেইবোৰ : মিচিঙৰ মুখৰ 'কনে-চেনেং', বড়োৰ 'জিভাৰ ঝহলাও', 'ফেৰেংগাদাও', আৰু অসমীয়া হৈ পৰা নেপালীৰ 'দাজু' 'কাঞ্জী' আৰু তাতে অর্থৰ সুৱাগ চৰোৱা 'শিয়ান কাঞ্জা' নাইবা 'থুন কাঞ্জা'! আৰু আছে, সেইবোৰ শব্দ, যিবোৰত প্রচ্ছন্ন হৈ থাকে একোখন 'মহাভাৰত'। মাজুলীৰ 'মেছেন্দৰী', যিজনীয়ে ডেকা ল'ৰা দেখা পালে, পানীৰ তলৰ কোনোবা ফটিক-কাৰেঙত লুকুৱাই থ'বলৈ টানি লৈ যায়; চাহপতীয়া 'আৰকাটিয়া', যাৰ ফুচুলনিত পৰি খাটি খোৱা মানুহৰ জুম চাহ গছৰ জোপোহাত থকা 'মোৱাত', টেকেলা হৈ অহা মৃত্যুৰ যাৰ আৰবী প্রতিশব্দ 'মৌত' সিগৰাকীৰ দূত! কামৰূপত ফাগুন হ'লেই চকু ধোঁৱাকোঁৱা কৰা 'উখাৰ' মাৰে, আৰু গোৱালপাৰাত পুহমহীয়া কুঁৱলীত বতৰৰ উমান দিয়ে 'টেকি' হৈ অহা সেমেকা বতাহে! সেই সকলোবোৰ শব্দ যদি অসমীয়া ভাষাৰ অভিধানখনৰ প্রণয়ন ইংৰাজী ভাষাৰ 'অক্সফোর্ড ইউনির্ভাছেল ডিক্সনেৰী'খনৰ আর্হিত হ'ব লাগে। উচ্চাৰণৰ বৈশিষ্ট্যসমূহ নির্দেশ কৰিবৰ বাবে যথাযথ ধ্বনিব্যঞ্জক প্রীতকৰো ব্যৱস্থা কৰি ল'ব লাগিব। কিন্তু এই অভিধানৰ পৰা ইংৰাজী অর্থ ব্যাখ্যা বাদ দিব লাগিব। মোৰ ধাৰণা, এনেকুৱা এখন অসমীয়া অভিধানে কমেও চাৰি-পাঁচোটা খণ্ড সামৰিবগৈ। গোটেই কামটো বিজ্ঞানসম্মত আদর্শেৰে নিয়াৰিকৈ কৰি উঠিব পাৰিলেহে, অসমীয়া জাতিয়ে আকৌ এবাৰ আকাশ কঁপাই চিএৰি গাব পাৰিব,

'বাজক দবা, বাজক শংখ, বাজক মৃদং খোল।
অসম আকৌ উন্নতি পথত 'জয় আই অসম' বোল।।"

-- ❋ --

চতুপঞ্চাশত্তম অধিবেশন

হাইলাকান্দি, ১৯৮৮ খ্রীঃ

কীর্তিনাথ হাজৰিকা

অসম সাহিত্য সভাৰ হাইলাকান্দি অধিৱেশনৰ সভাপতিৰ পদৰ পৰা মোক ৰাইজে নির্বাচিত কৰা বাবে পোনতেই মই ৰাইজলৈ সেয়া জনাইছো। যিখন আসনলৈ অসমৰ ৰথী-মহাৰথীসকল নির্বাচিত হৈ আহিছে, সেইখন আসনলৈ মোক বাছি অনাত মই নিজেই কুণ্ঠাবোধ কৰিছো। মই মাত্র সমূহ ৰাইজৰ ওচৰত মূৰ দোৱাই এই কথাকে ক'ব পাৰো যে অসমৰ ভাষা-সাহিত্যৰ স্বার্থ সেৱা কৰাত মোৰ ক্ষুদ্র শক্তিৰে যিমান চেষ্টা কৰিব পাৰি সিমানখিনি কৰিম। পাণ্ডিত্যপূর্ণ ভাষণৰ অপচেষ্টা আজি মোৰ ভাষণত কৰা নাই—মই মাত্র আমাৰ সমুখৰ ভয়াৱহ সমস্যাৰ বিশ্লেষণ কৰি তাৰ নিৰাকৰণৰ বাবে কেতবোৰ ভাবৰ বুৰবুৰণি প্রকাশ কৰিবলৈহে চেষ্টা কৰিছো। ইয়াত বুৰঞ্জীৰ বাকৰিত থিয় নিদি জীয়া বর্তমানৰ চোতালত থিয় দি দু�ৱাষাৰ কথা পতাৰ চেষ্টাহে কৰা হৈছে।

আজি আমি গোট খাইছোহি ৰৰাইলৰ ব্যৱধানে মন আঁৰ কৰি ৰাখিব খোজা ৰৰাক উপত্যকাৰ হাইলাকান্দিত। অসম সাহিত্য সভাৰ এই অধিৱেশন ইয়াত পতাৰ মাজত কোনো কথা লুকঢাক কৰি ৰখা নাই। আমি আহিছো চেনেহৰ কপৌফুল [illegible] মনে মনে মিলিবলৈ, দুৱাষাৰ আলচ কৰি ভুল বুজাবুজি ভাঙিবলৈ আৰু আমাৰ সমস্যাৰ বিষয়ে মুকলিভাবে বিচাৰ ল'বলৈ। মুকলি পৰিবেশৰ মাজত ইয়াত সমবেত হ'বলৈ আমাৰ সকলোকে সুবিধা দিয়াৰ বাবে ৰৰাক উপত্যকাৰ ৰাইজৰ ওচৰত—বিশেষকৈ হাইলাকান্দিৰ ৰাইজৰ ওচৰত আমাৰ কৃতজ্ঞতা প্রকাশ কৰিছো।

বর্তমানৰ বিভিন্নি সমস্যাক মিলিজুলি ভেটা দিয়াৰ বাবে আমি চেষ্টা চলোৱাৰ মন মেলিছো আৰু এই ক্ষেত্রত অসমক ভাল পোৱা সকলো লোকৰে সহযোগিতা পোৱা হ'ব বুলি আমি আশা কৰিছো!

সমস্যাৰ গুৰি ঃ আজি অসমৰ সমুখত যিবোৰ সমস্যাই দেখা দিছে, সেইবোৰৰ গুৰি খুচৰিবলৈ যাওঁতে ৰাজনৈতিক প্রসংগ অৱতাৰণা কৰাৰ থল ইয়াত নাই—কিয়নো এইখন ৰাজনৈতিক মঞ্চ নহয়। তথাপি এটা সীমাৰ ভিতৰত থাকি কিছুমান কথা আলোচনাৰ মাজলৈ আনিবলগীয়া হ'বই।

সৰু ৰাজ্যবোৰৰ সমস্যাৰ সম্যক বিচাৰ লোৱাৰ আগ্রহ নেদেখুৱাই সেইবোৰক গাপ দি থোৱাৰ ফলত নাইবা সেইবোৰৰ বিকৃত ব্যাখ্যা দিয়াৰ ফলত অসমৰ দৰে বহুতো অঞ্চলত বিভিন্ন পৰিস্থিতিৰ সৃষ্টি হৈছে।

ভাষিক, ধর্মীয় আৰু অন্যান্য পর্যায়ৰ সংখ্যালঘুৰ স্বার্থ সংৰক্ষণৰ বাবে সংবিধান মতেই সকলো দায়ৰদ্ধ। [illegible]হদেখি বিভিন্ন ক্ষেত্রত এনেবোৰ স্বার্থ ৰক্ষা কৰাৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে আৰু য'ত বিচ্যুতি ঘটিছে, তেনে ক্ষেত্রতো তাৰ প্রতিকাৰ ঘটোৱা হৈছে। এই বিষয়ত কৰিবলগীয়া আৰু কাম ওলাব। কিন্তু এই ক্ষেত্রত এটা কথা কৈ থোৱা উচিত যে সংখ্যালঘুৰ ধ্বনি তুলি সংখ্যাগৰিষ্ঠক 'ভেটো' দিয়াৰ অধিকাৰো সংবিধানে কাকো দিয়া নাই। সংখ্যালঘু আৰু সংখ্যাগুৰু উভয়ে উভয়ৰ প্রতি সহনশীল, সহযোগী হ'ব লাগিব—তেতিয়াহে দেশৰ অগ্রগতি সম্ভৱপৰ। সম্প্রতি ৰাজনৈতিক প্রৱোচনাত সংখ্যালঘুৰ 'ভেটো প্রয়োগৰ নিচিনা ঘটনাও ঘটিছে—যাৰ ফলত সমাজত তিক্ততাৰ সৃষ্টি হৈছে।

এই ক্ষেত্রত আমাৰ দেশৰ কর্ণধাৰসকলৰ কর্মধাৰাৰ কথাও আলোচনা কৰিবলগীয়া হ'ব। সৰু সৰু ৰাজ্যবোৰৰ স্বার্থ ৰক্ষা কৰিব পৰাকৈ সংবিধানত উপযুক্ত ব্যৱস্থা থকা হ'লে সম্প্রতি বহুতো সমস্যাৰ সৈতে মুখ্যমুখি হ'বলগীয়া নহ'লহেঁতেন। কিন্তু

আমাৰ সংবিধান ৰচোতাসকলে তাকে নকৰিলে। ডাঙৰ ৰাজ্যবোৰৰ স্বাৰ্থইহে প্ৰাধান্য পালে। ডাঙৰ ৰাজ্যবোৰত জনসংখ্যাৰ ছাপ বেছি, ঔদ্যোগিক কাৰ্যাবলীও বেছি—সেইদেখি সেইবোৰ ৰাজ্যৰ জনশক্তি অনগ্ৰহৰ অঞ্চললৈ প্ৰবাহিত হ'বই। এইটো অৱশ্যে হ'বই; তাক কোনেও বাধা দি ৰাখিব নোৱাৰে। কিন্তু মূলতঃ অকল সেইসকলৰ স্বাৰ্থলৈ চকু দি সাংবিধানিক ব্যৱস্থা আৰু আইনৰ ব্যৱস্থা আদি ৰখাৰ ফলত অনগ্ৰসৰ অঞ্চলবোৰত বিভিন্ন সমস্যাৰ সৃষ্টি হ'ল।

সংৰক্ষণ ঃ আনহাতে আমাৰ সংবিধানে 'সংৰক্ষণ'ৰ ব্যৱস্থা ৰাখি যি সমস্যাৰ সমাধান কৰিব পাৰিব বুলি আশা ৰাখিছিল, সেই সমস্যা এতিয়া জটিলহে হৈ পৰিল।

সংবিধানত পোনতে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল—অস্থায়ীভাবে ১০ বছৰৰ কাৰণে। পিচে অনগ্ৰসৰ শ্ৰেণীৰ উন্নতি অৰ্থনৈতিক আৰু সামাজিক স্থিতাৱস্থাৰ ভিত্তিত কেতিয়াও হ'ব নোৱাৰে। অৰ্থনৈতিক-সামাজিক ক্ষেত্ৰত বৈপ্লৱিক পৰিবৰ্তন সাধি সকলো ধৰণৰ শোষণ দূৰ কৰিহে অনগ্ৰসৰ অৱস্থাত থকা শ্ৰেণীক আগবঢ়াই নিব পাৰি। কিন্তু সংবিধানৰ প্ৰণেতা সকলে স্থিতাৱস্থাৰ ভেটিৰ পৰা আঁতৰি নগৈ ফালৰি কাটিলে সংৰক্ষণৰ পিনে।

সংৰক্ষণ ব্যৱস্থাই সীমাৱদ্ধ ক্ষেত্ৰত উপকাৰ সাধিলেও মূল সমস্যা দূৰ কৰিব নোৱাৰিলে। স্বাধীনতাৰ আগতে অনগ্ৰসৰ শ্ৰেণী যি স্থিতিত আছিল, এতিয়াও প্ৰায় একে স্থিতিতে আছে। আজিও সেই শ্ৰেণীৰ লোকৰ ওপৰত প্ৰত্যক্ষ আৰু পৰোক্ষ ধৰণৰ বিবিধ শোষণ অব্যাহত আছে। ভাৰতৰ নামত কলংক সনা ধৰণৰ ঘটনা ঘটাটোও আজিও সম্ভৱপৰ হৈ আছে। আমাৰ সংবিধানে এহাতে দি এহাতে নিয়াৰ ব্যৱস্থা দিয়াৰ ফলত নিঃস্বসকলৰ প্ৰকৃত স্বাৰ্থ পূৰণ হোৱা নাই; দাৰিদ্ৰ উচ্ছেদৰ সকলো আঁচনি ফুটুকাৰ ফেন হৈ পৰিছে।

আনহাতে সংৰক্ষণ ব্যৱস্থাক কেন্দ্ৰ কৰি নতুন নতুন শক্তিৰ সৃষ্টি হ'ল। গোঁজ পোতা স্বাৰ্থ ইমান প্ৰবল হ'ল যে অস্থায়ীভাবে ১০ বছৰৰ বাবে প্ৰয়োগ কৰা সংৰক্ষণ ব্যৱস্থা কাৰ্যতঃ স্থায়ী হৈ পৰিল। আজি ভাৰতত এনে কোনো শক্তি নাই, যি সংৰক্ষণ ব্যৱস্থা বাতিল কৰিব পাৰে। এই ব্যৱস্থাই কেন্দ্ৰবিমুখী শক্তিৰ জোৰ বঢ়ালে—কেন্দ্ৰমুখী শক্তিক নিশকতীয়া কৰিলে। সংৰক্ষণৰ গণ্ডীৰ ভিতৰ সোমাবলৈ প্ৰতিযোগিতা চলিল। ব্যক্তিমুখী সুবিধা তথা নেতৃত্বৰ লালসাত শান দিবলৈ এয়ে অস্ত্ৰ হৈ পৰিল। আনহাতে ৰাজনৈতিক চিকাৰীবৰ্গ সকলো ধৰণেৰে প্ৰৰোচনা যোগাই এনেবোৰ লোক সমষ্টিক উচটাই জোল খোৱাৰ প্ৰতিযোগিতাত নামিল। ফলত দেশৰ সমুখত নতুন নতুন সমস্যাৰ সৃষ্টি হ'ল। বল্লভভাই পেটেলৰ অৱমূল্যায়নৰ লগে লগে তেওঁৰ দ্বাৰা অনুসৃত মূল-নীতিও বাধাগ্ৰস্ত হ'ল। আজি দেশত বিভিন্ন ধৰণৰ মনৰ চুবুৰী গঠিত হৈছে আৰু বিভিন্ন ক্ষুদ্ৰ জনগোষ্ঠীক ঠেক গণ্ডীৰ ভিতৰলৈ ঠেলি নি ৰাষ্ট্ৰীয় জীৱনত সংঘাতৰ সৃষ্টি কৰা হৈছে।

১৯৫৫ চনত ৰাজ্য পুনৰ গঠন আয়োগে মন্তব্য কৰিছিল যে সংখ্যালঘু সকলৰ শিক্ষা, সংস্কৃতি আৰু অন্যান্য স্বাৰ্থ ৰক্ষা কৰাৰ বাবে উপযুক্ত ৰক্ষাকৱচ পোৱাৰ অধিকাৰ সংখ্যালঘু সকলৰ আছে; কিন্তু লগতে এই কথাও মনত ৰাখিব লাগিব বুলি সঁকিয়াই দি আয়োগে কৈছিল যে সংহতিৰ প্ৰক্ৰিয়াত বাধা দিয়া বা পৃথক মনোভাৱক স্থায়ী ৰূপ দিয়া ধৰণেৰে এনে ৰক্ষাকৱচ সমূহ কমত খটুৱাব নেলাগে। পিচে আয়োগৰ এই সঁকিয়নিক ৰাজনৈতিক দালালীয়ে দেশত এলাগী কৰি ৰাখিলে আৰু ফলত সম্প্ৰতি চন্তালিৰ নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হ'ল।

অসমতো আজি খলকনি উঠিছে। অন্যান্য দাবীৰ লগতে অসমত জনজাতায়ী লোকৰ একাংশৰ তৰফৰ পৰাও নানান দাবী উত্থাপিত হৈছে। ভাৰতৰ বিভিন্ন ৰাজ্যত জনজাতীয় লোক আছে। ১৯৭১ চনৰ গিয়লৰ মতে অসমত থকা ১৯ লাখ ১৯ হেজাৰ ৯৪৭ জন অনুসূচিত জনজাতীয় লোকৰ বিপৰীতে বিহাৰত ৪৯ লাখ ৩২ হেজাৰ ৭৬৭ জন, পশ্চিমবংগত ২৫ লাখ ৩২ হেজাৰ ৯৬৯ জন, উৰিষ্যাত ৫০ লাখ ৭১ হেজাৰ ৯৩৭ জন আৰু মধ্য প্ৰদেশত ৮৩ লাখ ৮৭ হেজাৰ ৪০৩ জন অনুসূচিত জনজাতিৰ লোক আছে। এইসকল লোকক সাম্প্ৰতিক স্থিতিৰ পৰা উৰ্দ্ধলৈ তোলাৰ বাবে কৰিবলগীয়া ডেধাৰ কাম বাকী আছে। কিন্তু অসমত অনুসূচিত জনজাতিৰ কথা লৈ সম্প্ৰতি যি উত্তাপৰ সৃষ্টি তেনে উত্তাপ দেশৰ অন্যান্য অঞ্চলৰ অনুসূচিত জনজাতিৰ মাজত সৃষ্টি হোৱা নাই কিয়? অসমৰ অনুসূচিত জনজাতিৰ লোকসকল সেই সকলতকৈ বহুত পাচ পৰি থকা কাৰণে নে সেই সকলতকৈ অধিক পৰিমাণে শোষিত হৈ থকা কাৰণে? সেই দুটা কাৰণৰ এটাও বিশ্বাসযোগ্য নহয় বুলিয়েই ধাৰণা হয়। অনুসূচিত জনজাতিৰ শিক্ষিত লোকৰ হাৰৰ তুলনামূলক বিচাৰে আৰু বিভিন্ন ৰাজ্যৰ অনুসূচিত জাতি-জনজাতিৰ সম্পৰ্কত ওলাই থকা বা-বাতৰিবোৰেও এই ধাৰণা সুদৃঢ় কৰি তোলে।

'ৰাষ্ট্ৰীয় উদ্যান'ৰ নীতি ঃ কেন্দ্ৰীয় চৰকাৰৰ আৰু এটা নীতিয়ে জনজাতীয় লোকৰ ৰাষ্ট্ৰীয় জীৱনৰ ঘাই সুতিৰ লগত মিলাত বাধা দিয়ে। তাহানিয়েই কেন্দ্ৰীয় চৰকাৰে জনজাতীয় লোকৰ সম্পৰ্কত নীতি ৰচনাৰ ভাৰ ডঃ ভেৰিয়াৰ এলউইনৰ হাত দিলে। এই নীতিয়ে জনজাতীয় লোকক যাদুঘৰত ৰখাদি ৰাষ্ট্ৰীয় জীৱনৰ পৰা বিচ্ছিন্ন কৰি ৰখাতহে সহায় কৰিলে। যদিও জনজাতীয় লোকৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবেই এনে ব্যৱস্থা দিয়া বুলি কোৱা কৈছিল— কাৰ্যতঃ কিন্তু ওলোটা ফলহে হ'ল। জনজাতীয় লোক বিচ্ছিন্ন হৈ পৰাৰ লগতে তেওঁলোকৰ ওপৰত পৰোক্ষ শোষণ বাঢ়িলহে। অজনজাতীয় লোকৰ বেনামী ব্যৱসায়ে শোষণৰ জাল পাতিলে; জনজাতীয় লোকৰ ওপৰত ভাষা-সংস্কৃতি আদিৰ বেলিকাও হেঁচা পৰিল। জনজাতীয় ধাৰা প্ৰায় বিলুপ্ত হ'বলগীয়া হ'ল—তাৰ ঠাইত ক্ষতিকৰ মূল্যবোধে প্ৰাধান্য লাভ কৰাত জনজাতীয় জীৱনত নতুন সংঘাতৰ সৃষ্টি হ'ল। লগতে সুকীয়া চিন্তায়ো গঢ় ল'লে। ৰাজ্য পুনৰ গঠন আয়োগে ১৯৫৫ চনতে মন্তব্য কৰিছিল যে জনজাতীয় ৰাইজৰ বেলিকা 'ৰাষ্ট্ৰীয় উদ্যান'ৰ চিন্তাধাৰা বৃটিছ নীতিহে। সুকীয়া জনজাতীয় ৰাজ্যৰ দাবী আংশিকভাবে এই নীতিৰেই পৰিণতি বুলি আয়োগে মন্তব্য কৰিছিল।

অসমকে ধৰি এই অঞ্চলত জনজাতীয় লোক আৰু অন্যান্য লোকৰ মাজত স্থিতি লাভ কৰা এনে পৰিবেশৰ মাজতে সেইসকল লোকৰ মাজত ৰাজনৈতিক দলৰ আঁহ ফলা ৰাজনীতিৰ হেঁচা পৰিল। তদুপৰি একাংশ লোকৰ মাজত ধৰ্ম প্ৰচাৰৰ নামত কিছুমান ধৰ্ম-প্ৰচাৰকে বিভ্ৰান্তিৰ সৃষ্টি কৰে বুলিও সন্দেহ হয়। ভাষিক আৰু ধৰ্মীয় সম্প্ৰসাৰণবাদৰ স্বাৰ্থত এই অঞ্চলত নহ'বলগীয়া বহুতো প্ৰৰোচনামূলক কাম হৈ আছে কাৰণেও জটিলতা বাঢ়িছে।

জনজাতীয় লোকৰ প্ৰগতিৰ বাবে স্বাভাৱিকতে জাগি উঠা সচেতনতাক বিভ্ৰান্ত কৰিবৰ বাবে চেষ্টা চলোৱা সকলে সুৰুঙা বিচাৰি পাইছে—জনজাতীয় লোকৰ কেতবোৰ অসন্তুষ্টিৰ মাজত। আগতেই কৈ অহা হৈছে যে আমাৰ সংবিধানে অৰ্থনৈতিক স্থিতাবস্তাৰ ভেটি লৰোৱাৰ কাৰ্যকৰী উপায় নিদিয়াৰ বাবেই অনগ্ৰসৰ শ্ৰেণীৰ উন্নয়ন সম্ভৱপৰ হোৱা নাই। জনজাতীয় লোকৰ ক্ষেত্ৰতো সেয়ে হৈছে। সামাজিক-অৰ্থনৈতিক ক্ষেত্ৰত থকা প্ৰত্যক্ষ আৰু পৰোক্ষ ধৰণৰ শোষণৰ পৰা এইসকল লোক সম্পূৰ্ণৰূপে মুক্ত হ'ব পৰা নাই। মাটিৰ সমস্যাটো এটা বিশেষ সমস্যা হৈ পৰিছে। ইতিমধ্যে শোষণৰ বলি হৈ যিসকল মাটিৰ পৰা বঞ্চিত হ'ল, সেই সকলৰ উপৰিও মাটি থকা সকলৰ ওপৰতো হেঁচা বাঢ়িল—প্ৰব্ৰজনৰ কাৰণে। আনকি ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটিও সেই সকলৰ হাতত নথকা হ'ল। ইপিনে কেন্দ্ৰীয় চৰকাৰৰে হওক বা ৰাজ্য চৰকাৰহে হওক—যি চৰকাৰী প্ৰকল্পৰ বাবে মাটি অধিগ্ৰহণ কৰাৰ প্ৰয়োজন হয় প্ৰায়ে তেন মাটি জনজাতীয় বসতিপ্ৰধান অঞ্চলতে অধিগ্ৰহণ কৰা হয়। আপেক্ষিকভাৱে অনগ্ৰসৰ হৈ থকা কাৰণে তেনে অঞ্চলৰ মাটিৰ ক্ষেত্ৰত দিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণ কমিৰ বুলিয়েই এনে ব্যৱস্থা লয় যদিও তাৰ পৰিণতি ভয়ংকৰ হৈ পৰে। কিয়নো বিকল্প স্বৰূপে তেওঁলোকক যি মাটি দিয়া হয়, সেই মাটি প্ৰায়ে সম্পূৰ্ণভাৱে উপযোগী নহয়।

অৱশ্যে জনজাতীয় লোকৰ একাংশৰ নিজৰ ভুলৰ বাবেও মাটিৰ কাৰণে তেওঁলোকৰ মাজত এতিয়া হাঁহাকাৰ লাগিছে। জনজাতীয় লোকৰ বুজন ভাগ এটাই মাছ মৰা, খৰি লোৱাৰ সুবিধা হেৱাই যোৱা অঞ্চলৰ পৰা মাটি এৰি আন ঠাইলৈ উঠি যোৱা অভ্যাসৰ বিৰুদ্ধে জনজাতীয় নেতৃত্বৰ তৰফৰ পৰাই জনজাতীয় লোকক বুজোৱাৰ বাবে প্ৰবল অভিযান চলাব লাগিছিল যদিও সেয়া হোৱা নাই। মাটি ওলাই নেথাকে—ভবিষ্যতৰ শুকতৰ বিপদৰ কথা সঁকিয়াই দি জনজাতীয় লোকক এনে অভ্যাস পৰিহাৰ কৰোৱাবই লাগিব।

মাটিৰ বাহিৰেও নিৰ্বাচনৰ বাবে সংৰক্ষিত সমষ্টি নিৰূপণ কৰিবৰ বেলিকা জনজাতীয় অঞ্চল নিৰ্দ্ধাৰণ কৰোতে জনজাতীয় স্বাৰ্থ হানি কৰা, আমোলতান্ত্ৰিক মেৰপাক আৰু দুৰ্নীতিৰ কৱলত পৰি হাবাশান্তি হোৱা—ইত্যাদি ধৰণৰ ক্ষোভো আছে। তদুপৰি একাংশ অজনজাতীয় লোকৰ ৰক্ষণশীল মনোভাৱৰ বীজ এতিয়াও নমৰা বাবেও কেতবোৰ সমস্যাৰ সৃষ্টি হৈছে— যাৰ ফলত জনজাতীয় লোকৰ মনত ক্ষোভৰ সৃষ্টি হৈছে।

কিন্তু এই ক্ষোভৰ সুবিধা লৈ জনজাতীয় লোকক বিপথে নিয়াৰ চেষ্টা কৰাটো অতিশয় পৰিতাপৰ বিষয়। অসমীয়া জাতি গঠনৰ গোটেই প্ৰক্ৰিয়াটোৰ ওপৰত হেঁচা প্ৰয়োগ কৰি সাতামপুৰীয়া সংহতি বিনষ্ট কৰিলে বিষবৃক্ষ ৰোপন কৰাহে হ'ব। অসমীয়া ভাষা-সংস্কৃতিৰ আধাৰ জনজাতীয়-অজনজাতীয় আদান-প্ৰদান তথা সংহতৰ পৰিণতি। এই সত্য অস্বীকাৰ কৰাৰ অৰ্থ নিজকেই অস্বীকাৰ কৰা।

মূল প্রবাহৰ পৰা ফালৰি কাটি বিচ্ছিন্নতাভাৱে কোনো তিষ্ঠিব নোৱাৰে। তাৰ দ্বাৰা নিজক আৰ পাচ পেলাই থোৱাহে হ'ব। জনজাতীয় ভাষা আমাৰ খিলঞ্জীয়া ভাষা—এইবোৰ ভাষাৰ উদ্‌গতিৰ বাবে অসম সাহিত্য সভা, অসম আৰু কেন্দ্রীয় চৰকাৰ আমাৰ সংবিধান মতেই দায়বদ্ধ। এটা পর্যায়লৈকে জনজাতীয় ভাষাত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিবই লাগিব। কিন্তু ব্যৱহাৰিক চাহিদাৰ ফালৰ পৰাই এটা পর্যায়ৰ পৰা আঞ্চলিক তথা চৰকাৰী ভাষা প্রয়োগ কৰাটো নিতান্ত প্রয়োজনীয়। দেশৰ মাত্র ২ শতাংশ লোকে ইংৰাজী জনা সত্বেও ইংৰাজী ভাষা আমাৰ দেশৰ সকলো ক্ষেত্রতে প্রচলন কৰা হৈছিল। এতিয়া হিন্দীকো আমাৰ ৰাষ্ট্রৰ ভাষাৰূপে গ্রহণ কৰা হৈছে। দেশৰ বুজন অংশৰ লোকে হিন্দী নজনা সত্বেও আমাৰ ৰাষ্ট্রীয় স্বাৰ্থতে আমি মুকলি মনেৰে হিন্দীক এনে মর্যাদা দিছো।

কোঠাৰী আয়োগকে ধৰি বিভিন্ন শিক্ষা আয়োগ, ৰাষ্ট্রীয় সংহতি পৰিষদ আদিয়ে যি ব্যৱস্থা দিছে, কেন্দ্রীয় চৰকাৰে যি নীতি গ্রহণ কৰিছে আৰু ভাৰতৰ বিভিন্ন ৰাজ্যত যি নীতি কার্যকৰী কৰিছে—সেই মতেই অসমতো অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে আৰু অসমীয়া বিষয়টো অৱশ্যে পঢ়িবলগীয়া বিষয় ৰূপে প্রবর্তন কৰাৰ ব্যৱস্থা কৰাটো অপৰাধ নহয়। অলপ সহনশীলতা, অলপ বুজাবুজিয়েই এই ক্ষেত্রত পথ সুগম কৰিব বুলি আম এতিয়াও বিশ্বাস ৰাখিছো। সেইদৰে ৰাজ্যভাষা প্রবর্তনৰ ক্ষেত্রতো চক খাবলগীয়া কথা নাই বুলিয়েই আমাৰ বিশ্বাস। দেশৰ বিভিন্ন ৰাজ্যত আঞ্চলিক ভাষাক ৰাজ্যভাষা ৰূপে গ্রহণ কৰাৰ পিচত কেন্দ্রীয় চৰকাৰে গঠন কৰি দিয়া ৰাজ্যভাষা প্রয়োগ কমিটীয়েও আঞ্চলিক ভাষাক ৰাজ্যভাষা ৰূপে প্রয়োগ কৰাৰ ব্যৱস্থা শীঘ্রে সম্পূর্ণ কৰি তোলাৰ বাবে তাগাদা দিয়ে।

অসমৰ সকলোৰে স্বাৰ্থত আঞ্চলিক ভাষাক ৰাজ্যভাষা ৰূপে সকলোৱে ব্যৱহাৰ কৰা উচিত আৰু সেই বিষয়ত অর্হতা অর্জাৰ স্বাৰ্থতে অসমীয়া বিষয়টোও বিদ্যালয়ত অধ্যয়ন কৰিব লাগে। তাকে কৰিলে জনজাতীয় ভাষাকে ধৰি আন কোনো ভাষা ক্ষতিগ্রস্ত হ'ব বুলি ভৰাৰ কাৰণ নাই। সেয়ে হোৱা হ'লে ইংৰাজীয়ে কেতিয়াবাই ভাৰতীয় ভাষাবোৰক উৎখাট কৰিলেহেঁতেন আৰু হিন্দীয়েও অন্যান্য ভাৰতীয় ভাষাবোৰক বিপন্ন কৰিলেহেঁতেন। আচৰিত কথা যে অসমৰ বাহিৰতো অসমীয়া ভাষাৰ সন্দর্ভত যি খলকনি উঠিছে, কেন্দ্রীয় চৰকাৰে নৱোদয় বিদ্যালয়ত মাত্র হিন্দী আৰু ইংৰাজী ভাষাকহে এটা পর্যায়ৰ পৰা আচুতীয়াভাৱে ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লোৱাত কিন্তু তাৰ শতাংশ প্রতিবাদৰ খলকনিও উঠা নাই। ত্রিপুৰাৰ খিলঞ্জীয়া জনজাতীয় লোক সংখ্যাগৰিষ্ঠৰ স্থিতিৰ পৰা নামি সংখ্যালঘিষ্ঠ হোৱা (মুঠ জনসংখ্যাৰ ২৯ শতাংশতকৈয়ো কম) আৰু ত্রিপুৰাৰ খিলঞ্জীয়া জনজাতীয় ভাষাৰ বিলুপ্তি ঘটা সত্বেও প্রতিবাদ হোৱা নাই। অসমৰে ডিমাচাসকলৰ মাজত বাংলা ভাষা শিক্ষাৰ মাধ্যম হোৱাতো প্রতিবাদ হোৱা নাই।

জনজাতীয় ৰাইজক ক্ষুদ্র ক্ষুদ্র পৃথক গোটত আচুতীয়া কৰি ৰখাৰ চেষ্টা কৰিলে জনজাতীয় লোকৰ স্বাৰ্থহে হানি হ'ব। ৰাজনৈতিক আৰু অন্যান্য ধৰণৰ প্রৰোচনাৰ পৰা মুক্ত হ'লে সেইসকল লোকে নিশ্চয় উপলব্ধি কৰিব যে জনজাতীয় লোকৰ স্বাৰ্থতে এট পর্যায়ৰ পৰা অসমীয়া ভাষাক সামৰি লোৱা উচিত। আমি জানো যে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰি লোৱাৰ মূৰত উপযুক্ত কিতাপৰ অভাৰ মোচন কৰাৰ বাবে সর্বাত্মক প্রচেষ্টা চলায়ো ইপ্সিত লক্ষ্যত উপনীত হ'বলৈ পৰা নাই। এই লক্ষ্যৰ পৰা আমি যিমানে পাচ পৰি থাকো, সিমানে শিক্ষাৰ অগ্রগতিৰ ক্ষেত্রতো আমি পাচ পৰি থাকিম। জনজাতীয় ভাষা সমূহ এই ক্ষেত্রত আৰু বেছি বাধাগ্রস্ত হ'ব আৰু সেই অনুক্রমে সেইসকল লোক শিক্ষাৰ ক্ষেত্রত আৰু পাচ পৰি থাকিব। যিহেতু বিভিন্ন জনজাতীয় ভাষাৰ ক্ষেত্রত জনজাতীয় লোকসকলে সুকীয়া লিপি বাছি লৈছে, তাৰ ফলত অসমীয়া কিতাপ-পত্রৰ লগত থকা শেষ সংযোগো বিচ্ছিন্ন হ'ব। এনে অবস্থাত জনজাতীয় ভাষাভাষীসকলে নিজৰ চাহিদা শীঘ্রে পূৰণ কৰিব কেনেকৈ? কিতাপ প্রকাশ কৰাৰ বেলিকাও সমস্যাৰ সৃষ্টি হ'ব বুলি ধাৰণা হয়। অসমীয়া কিতাপৰ পঢ়ুৱৈ কম—কিয়নো কিতাপ পঢ়াৰ অভ্যাস কম। সেইদেখি প্রকাশসকলে এওঁাই দেখুৱায়। ঘাইকৈ গল্প-উপন্যাসহে প্রকাশ কৰে। ফলত প্রয়োজনীয় কিতাপৰ প্রকাশকৰ অভাৱত আমি ভুগি আছো। এনে অবস্থাই উৎকট ৰূপত জনজাতীয় ভাষাৰ কিতাপৰ ক্ষেত্রত দেখা নিদিবনে? বিজ্ঞান আদি বিষয়ৰ যিবোৰ কিতাপৰ নিতান্ত প্রয়োজন হ'ব, সেইবোৰ কিতাপ প্রকাশ কৰিবলৈ কিমান প্রকাশক আগবাঢ়ি আহিব? অৱশ্যে চৰকাৰে কিছুমান পাঠ্যপুথি উলিয়াই দিব। কিন্তু অকল সেয়ে অভাৱ পূৰণ নকৰে।

তদুপৰি আৰু এটা বিষয়লৈ কাণ কৰা উচিত হ'ব। প্রযুক্তি বিদ্যাই কি বিৰাট পৰিবর্তন কঢ়িয়াই আনিছে, তালৈ আমি আওকাণ কৰি থাকিব নোৱাৰো। কম্পিউটাৰৰ যুগত নানান পৰিবর্তন ঘটিব লাগিছে। টেলিপ্রিণ্টাৰ, টেলেক্স আদিৰ ক্ষেত্রত

বর্ণমালাৰ বেলিকা নতুন চাহিদাৰ সৃষ্টি হৈছে। ইতিমধ্যে পশ্চিমবংগ এই ক্ষেত্ৰত সচেতন হোৱা দেখা গৈছে। টেলিপ্ৰিণ্টাৰ, টেলেক্সৰ বাবে বৰ্ণমালাৰ আৰু বানানৰ সংস্কাৰৰ বাবে পশ্চিমবংগই উদ্যম হাতত লৈছে। কম্পিউটাৰৰ বাবে সুবিধা হোৱাকৈ "কী ব'ৰ্ড" যুগুতোৱাৰ প্ৰচেষ্টা চলিছে। সংস্কাৰৰ দ্বাৰা বাংলা বৰ্ণমালা সংক্ষিপ্ত কৰাৰ লক্ষ্য হাতত লোৱা হৈছে। যিহেতু এই ক্ষেত্ৰত যান্ত্ৰিক ব্যৱস্থাৰ প্ৰয়োজন হ'ব, সেইদেখি জাপানৰ সহযোগিতাত এই কামত আগবাঢ়িছে। এই দূৰদৃষ্টিসম্পন্ন ব্যৱস্থা সমূহে আমাকো বাট দেখুৱাই দিব লাগে। যিহেতু যন্ত্ৰ উৎপাদনৰ কথা ইয়াত নিহিত আছে, সেই কাৰণে ব্যৱসায়িক দিশৰ কথাও মনত ৰখা উচিত হ'ব। ব্যৱসায়ীয়ে ব্যৱস্যায়িক দিশৰ প্ৰতি লক্ষ্য ৰাখিহে যন্ত্ৰ উৎপন্ন কৰিব। নিচেই তাকৰীয়া চাহিদা পূৰণ কৰাৰ বাবে আগবাঢ়ি নহাৰ ফলত এসময়ত সেয়ে সংকটৰ সৃষ্টি কৰিব।

এতিয়া ৰাজনীতিৰ প্ৰৰোচনাত কোনো জনজাতীয় গোষ্ঠীয়ে ইংৰাজীকে গ্ৰহণ কৰাৰ জিদ ধৰিলে বাস্তৱক অস্বীকাৰ কৰাহে হ'ব। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী বিষয়ত কিমান জনজাতীয় ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নহয়, তাৰ তুলনামূলক বিচাৰ ল'লেই বুজা যাব যে তেওঁলোকৰ প্ৰতি ৰাজনীতিয়ে অবিচাৰহে কৰিছে। এচাম ছাত্ৰ মহাবিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰি ইংৰাজীৰ হেঙাৰ সৰকি যাব নোৱাৰি স্নাতক নোহোৱা বাবে নিযুক্তিৰ বজাৰত বাধাগ্ৰস্ত হোৱা আৰু সেই একে মেধাসম্পন্ন আন এচাম ছাত্ৰ ইংৰাজীৰ হেঙাৰ নথকা বাবে নিযুক্তি লাভ কৰি সংস্থাপিত হোৱাৰ নিচিনা ঘটনাই জনজাতীয় লোকৰ স্বাৰ্থতহে আঘাত হানিছে।

সেইবুলি জনজাতীয় সকলৰ অসন্তুষ্টি অগ্ৰাহ্য কৰাৰ নিদান ইয়াত দিয়াৰ ধৃষ্টতা দেখুওৱা নাই। অসন্তুষ্টি দূৰ কৰি ৰাজনীতিৰ চৰণীয়া পথাৰখনকে উচ্ছেদ কৰাৰ কথাহে কোৱা হৈছে। সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত বৈপ্লৱিক ধৰণৰ সংস্কাৰ সাধি জনজাতীয় ৰাইজক সকলো ধৰণৰ শোষণৰ পৰা মুক্ত কৰাৰ ব্যৱস্থা হ'ব লাগে। জনজাতীয় লোকৰ মাটি সংৰক্ষণৰ বাবে কঠোৰ ব্যৱস্থা অবিলম্বে হাতত ল'ব লাগে; আনকি মাটিৰ ক্ষেত্ৰত ইতিমধ্যে জনজাতীয় লোকৰ প্ৰতি হোৱা অবিচাৰৰো প্ৰতিকাৰ হ'ব লাগে।

সেইবুলি তেওঁলোকক আচুতীয়াকৈ ৰখাৰ পোষকতা আমি নকৰো। জনজাতীয় ছাত্ৰ-ছাত্ৰীক শিক্ষা গ্ৰহণ কৰাৰ বাবে সৰ্বোচ্চ পৰিমাণৰ সাহায্য বিভিন্ন ধৰণেৰে দিয়ক। কিন্তু জনজাতীয়ৰ বাবে সুকীয়া ছাত্ৰাবাস পতা, জনজাতীয় চাকৰিয়ালৰ বাবে সুকীয়া সংগঠন পতা, জনজাতীয় খেলুৰৈৰ বাবে পৃথক ক্ৰীড়ানুষ্ঠান পতাৰ নিচিনা আত্মঘাতী প্ৰচেষ্টাৰ পৰা বিৰত থাকক-সকাতৰে এই মিনতিহে জনাইছো। এই চামনিখন আঁতৰিলেই দৃষ্টিও মুকলি হ'ব। ভাষাৰ প্ৰশ্নটোও সহজ হ'ব। ৰাজ্য ভাষা আৰু শিক্ষাৰ মাধ্যম লাগে—প্ৰশাসন আৰু শিক্ষাৰ স্বাৰ্থতে।

প্ৰাথমিক পৰ্যায়ত নিজৰ মাতৃভাষাৰ যোগেদি শিক্ষা দিয়াৰ বিধান চৰকাৰে কাৰ্যকৰী কৰিছে। এই ব্যৱস্থা ফলৱতী কৰাৰ বাবে চৰকাৰৰ তৰফৰ পৰা সকলো ব্যৱস্থা শীঘ্ৰে সম্পূৰ্ণ কৰিব লাগে। অৱশ্যে এইখিনিতে এটা কথা উঠিব। নিচেই কম সংখ্যক লোক থাকিলেও তেনে ভাষাভাষী লোকৰ কাৰণেও প্ৰাথমিক পৰ্যায়ত মাতৃভাষাৰ যোগেদি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব নেকি? এই ক্ষেত্ৰত এটা নিম্নতম সীমা বান্ধি দিয়াৰ প্ৰয়োজন হ'ব নেকি, সেই কথাৰ বিচাৰ ল'ব লাগে। ব্যৱহাৰিক ক্ষেত্ৰত হোৱা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখিহে এইটো প্ৰশ্ন তোলা হৈছে। বিভিন্ন ভাষাত প্ৰাথমিক পৰ্যায়ত শিক্ষা দিয়াৰ ফলত নানান ভাষাৰ পাঠ্যপুথি চৰকাৰে উলিয়াব লগা হৈছে। সেইদৰে ভাগে ভাগে প্ৰশ্নকাকত উলিয়াই বিভিন্ন ভাষাভাষী পৰীক্ষক নিয়োগ কৰিবলগীয়া হোৱাকে ধৰি বিবিধ কাম হাতত ল'বলগীয়া হৈছে। ফলত প্ৰাথমিক পৰীক্ষা লোৱাটো ব্যয়বহুল হৈ পৰিছে। সেইদেখি ব্যৱহাৰিক ক্ষেত্ৰত অৰ্থ সমস্যাকে ধৰি কেতবোৰ সমস্যাই দেখা দিব পাৰে। ইতিমধ্যে পশ্চিমবংগ চৰকাৰে মাধ্যমিক পৰ্যায়ত এনে কেতবোৰ সমস্যাৰ সম্মুখীন হৈ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নিৰ্দিষ্ট কেইটামান ভাষাতহে উত্তৰ-কাকত লিখিব পাৰিব বুলি নিৰ্দেশ দিবলগীয়া হৈছে।

মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কে স্বীকৃত হোৱা নীতিহে অনুসৰণ কৰিব লাগিব। প্ৰাথমিক পৰ্যায়ত মাতৃভাষাত শিক্ষা দিলে মাধ্যমিক পৰ্যায়তো সেই ভাষাকে মাধ্যম কৰি লোৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হোৱা বুলি যদি গণ্য কৰা হয়, তেন্তে গোটেই শিক্ষা-নীতিকে উলংঘা কৰাৰ তুল্য হ'ব। মাধ্যমিক পৰ্যায়ত নিশ্চিতভাবে এটা স্তৰৰ পৰা আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হ'ব লাগিব। এই কথা লৈ যি বিৰোধৰ সৃষ্টি হৈছে, তাক দূৰ কৰাৰ বাবে প্ৰয়োজন হ'লে আমাৰ এই অঞ্চলত চাৰি ভাষাৰ সূত্ৰ গ্ৰহণ কৰিবলৈকো আগবাঢ়িব লাগে।

সহযোগী ভাষা ঃ বড়ো ভাষাক সহযোগী ভাষা ৰূপে পূৰ্বৰ ৰাজ্য চৰকাৰে হঠাৎ ঘোষণা কৰিলে। ৰাজ্যভাষা আইনত সহযোগী ভাষাৰ কোনো ব্যাখ্যা নাই; কেন্দ্ৰৰ ভাষা নীতিতো তেনে কোনো ব্যৱস্থা নাই। তদুপৰি সহযোগ থাকিলেহে সহযোগী আখ্যা দিব পাৰি। বড়ো ভাষাভাষী একাংশ লোকে এতিয়া অসমীয়া ভাষাৰ লগতে হোঁকা-পানী নিষেধ কৰিবলৈ লোৱাৰ পৰত 'সহযোগী ভাষা' কথাষাৰ খাপ নোখোৱা ধৰণৰ হৈছে। তথাপি খিলঞ্জীয়া বড়ো ভাষা আৰু বড়ো সংস্কৃতিৰ লগত থকা আমাৰ ঘনিষ্ঠ সম্বন্ধৰ প্ৰতি শ্ৰদ্ধা জনাই—অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৩.৬৫ ভাগ (১৯৭১ চনৰ পিয়লৰ মতে) লোক বড়ো ভাষাভাষী হোৱা সত্ত্বেও ইতিমধ্যে আগৰ চৰকাৰে স্বীকৃতি দিয়া সহযোগী ভাষাৰ মৰ্যাদা বড়ো ভাষাভাষী লোক সংখ্যাগৰিষ্ঠ ৰূপে থকা জিলা আৰু মহকুমাত পূৰ্ণাংগভাৱে কাৰ্যকৰী কৰি সহযোগিতাৰ হাত আগবঢ়াব লাগে। অৱশ্যে ইয়াকে উদাহৰণ ৰূপে গ্ৰহণ কৰি অন্যান্য ভাষাৰ ক্ষেত্ৰতো তাকে কৰাৰ বাট মুকলি কৰিব নেলাগে।

পৃথক গোট ঃ সুকীয়া ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল গঠনে জনজাতীয় ৰাইজক সকলো সমস্যাৰ পৰা মুক্ত কৰিব পাৰিব বুলি বিশ্বাস কৰিব পাৰি জানো? সেয়ে হোৱা হ'লে মেঘালয়, অৰুণাচল প্ৰদেশ, নগালেণ্ড আদিত আজি একো লেঠাই নেথাকিলেহেঁতেন। অসমৰ খণ্ডিতকৰণৰ সময়ত অসমীয়া মানুহ আৰু অসমীয়া ভাষাক অন্যতম ঘাই 'আচামী' পতা হৈছিল। কিন্তু আজিহে মেঘালয়ে অস্তিত্বৰ আচল বিকাৰত ভুগিব লগীয়া হৈছে, অৰ্থনৈতিক স্থিতি লাভ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈ অৰ্থনৈতিক কৰ্তৃত্ব আনৰ হাতত এৰি দিবলগীয়া হৈছে। সুকীয়া ৰাজ্য গঠিত হোৱাৰ মুৰতো মেঘালয়ত কিয় বিধান সভাৰ ৬০খন আসনৰ ভিতৰত ৫৫ খন আৰু নগালেণ্ডতো ডিমাপুৰ সমষ্টিৰ বাহিৰে আন সকলোবোৰ আসন জনজাতীয়ৰ বাবে সংৰক্ষিত কৰি ৰাখিবলগীয়া হ'ল? সেইবোৰ ৰাজ্যলৈ যোৱা বিপুল সংখ্যক অজনজাতীয় লোকৰ হেঁচাৰ পৰিচয়কে ইয়াৰ মাজত পোৱা নাইনে? এইদৰে সংৰক্ষণৰ মাজতে সংৰক্ষণ কৰি আৰু বিপুল সংখ্যক অজনজাতীয় লোকৰ স্থায়ীভাৱে দ্বিতীয় শ্ৰেণীৰ নাগৰিক কৰি ভৱিষ্যতৰ বাবে আমি কি পৰিণতি সাঁচি থৈছো? আমি যদি অসমৰ কোনো অঞ্চলত সুকীয়া জনজাতীয় ৰাজ্য নতুনকৈ গঠন কৰা হয়, তেন্তে সংশ্লিষ্ট জনজাতীয় লোকসকল নিষ্কণ্টক হ'বনে? অজনজাতীয় লোকৰ হেঁচাৰ পৰা ৰক্ষা পৰিবলৈ ততো এদিন বিধান সভাৰ আসন সংৰক্ষিত কৰি ৰাখি সংৰক্ষণৰ মাজতে সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিব আৰু তাত থকা অজনজাতীয় সকলক দ্বিতীয় শ্ৰেণীৰ নাগৰিক পাতি আগ্নেয়গিৰি ৰচনা কৰিবলগীয়া হ'ব। বিচ্ছিন্ন অৱস্থা এটাৰ মাজত সোমালে অৰ্থনৈতিক শোষণো বাঢ়িব। আনহাতে সিঁচৰতি হৈ থকা জনজাতীয় ৰাইজক সামৰি এখন জনজাতীয় ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল গঠন কৰাটো সম্ভৱো নহ'ব। ঘাইকৈ অসমৰ উত্তৰ পাৰৰ বড়ো সকলক লৈ যি দাবী তোলা হৈছে, সেই দাবীয়ে দক্ষিণ পাৰৰ বড়ো সকলক খেপিয়াব নোৱাৰে। যুক্তি আৰু প্ৰতি-যুক্তিৰে আমি তিক্ততা বঢ়াই নেথাকি মেঘালয়লৈ চাওঁ—তাত কি পৰিস্থিতি হোৱা নাছিল, আজি সেই পৰিস্থিতিৰ সম্মুখীন হৈছে খাছী, জয়ন্তীয়া আৰু গাৰো ৰাইজ। অৰুণাচল প্ৰদেশত জনজাতীয় ধাৰাটোৱেই বিলুপ্তিৰ পথলৈ আগবাঢ়িব খোজা যেন পৰিলক্ষিত হৈছে। বেনামী লাইচেন্স ব্যৱস্থাই অৰুণাচলৰ সমগ্ৰ অৰ্থনৈতিক শক্তি অ-জনজাতীয় লোকৰ হাতলৈ নিয়াৰ লগতে চাকৰি আদিতো প্ৰতিপত্তি বিস্তাৰ কৰিছে। যি নগা ৰাইজৰ মানৱীয় গুণে তেওঁলোকক আনৰ পৰা বেলেগ কৰি এটা বিশেষ আদৰণীয় স্থানত ৰাখিছিল, সেই বৈশিষ্ট্যহে নগালেণ্ডত প্ৰথম চিকাৰ হ'ল। অৰ্থনৈতিক শক্তি দখল কৰা অজনজাতীয় মহলৰ প্ৰভাৱ নগালেণ্ড ৰাজ্যই বঢ়াইহে দিলে আৰু সেই ক্ৰমবৰ্দ্ধমান শক্তিয়েই নগালেণ্ডত দুৰ্নীতিৰ পোহাৰ মেলি নগা ৰাইজৰ মাজত সোম জিলিকাদি জিলিকি থকা মানৱীয় গুণকাৰ জেউতি নোহোৱা কৰিলে। আজি ডিমাপুৰে সমগ্ৰ নগালেণ্ডৰ অৰ্থনীতি-ৰাজনীতি হাতৰ মুঠিত ৰাখিব পাৰিছে কিয়, তাৰ বিচাৰ জনজাতীয় ৰাইজে লওক। অসমৰ বড়ো ৰাইজৰ মানৱীয় গুণ আৰু শিল্পী মনো আমাৰ ডাঙৰ সম্পদ। সেই সম্পদ যাউতিযুগলৈ থাকক। ৰাজনীতৰ খেলে যাতে নগালেণ্ডৰ তেনে সম্পদ নিঃশেষ কৰাৰ দৰে আমাৰ বড়ো সকলৰ সেইবোৰ সম্পদ নিঃশেষ কৰিব নোৱাৰে—তাকে আমি বিচাৰো।

খণ্ডৰ ভমকত সুকীয়া ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল দাবী কৰোতাসকলে এবাৰ এইবোৰ কথালৈ মন দিয়ক—এয়ে আমাৰ মিনতি। মনৰ হেঙাৰখন আঁতৰালে আমি সকলো মুকলি হৈ পৰিম—জনজাতীয় নেতৃত্বৰ বাবে সুকীয়া ৰাজ্য নেলাগে। গণতান্ত্ৰিকভাৱেই তেওঁলোকে ৰাজ্যৰ নেতৃত্ব পাব পাৰে। তেনে গণতান্ত্ৰিক পৰিবেশ আমিয়েই ৰচনা কৰিব লাগিব। কথাই কথাই আঁহ ফলা বিচাৰ তথা বাছনি কৰা বাবেই আমি সেই লক্ষ্যৰ পৰা নিলগত আছো। তেনে গণচেতনা গঢ়াত আমাৰ জনজাতীয়-অজনজাতীয় সকলো লোক সংগঠিত হোৱা উচিত।

কাৰবি আংলং ঃ এই ক্ষেত্ৰত কাৰবি আংলং জিলাত চলা প্ৰবল অসন্তোষৰ কথা উল্লেখ কৰিবই লাগিব। বিগত কালত সুদীৰ্ঘ দিন ধৰি এই অঞ্চলৰ অবস্থাৰ প্ৰতি চকু নিদিয়াৰ কাৰণেই এতিয়াৰ অসন্তুষ্টি ইমান প্ৰবল হৈছে। ১৯৩৭ চনৰ পৰা কাৰবিসকলে এখন জিলা বিচাৰি দাবী জনোৱাৰ মূৰত ১৯৫১ চনতহে জিলা গঠন কৰা হয়। এসময়ত পাৰ্বত্য ৰাজ্যৰ দাবীৰ প্ৰতি সমৰ্থন নজনোৱা কাৰবি ৰাইজৰ মাজত এতিয়া তিক্ততাই ছাটি ধৰিছে। সেই অঞ্চললৈ বোৱা জনস্ৰোতে অঞ্চলটোৰ অৰ্থনৈতিক সামাজিক-ৰাজনৈতিক ক্ষেত্ৰত ডাঙৰ পৰিবৰ্তন ঘটালে। ১৯৫১-৬১ চনৰ ভিতৰত কাৰবি আংলং জিলাত (তেতিয়াৰ মিকিৰ পাহাৰ) জনসংখ্যা ৭৯.২১ শতাংশ বৃদ্ধি হয়। আনহাতে ১৯৬১-৭১ চনৰ ভিতৰত বৃদ্ধি হয় ৬৭.৫৯ শতাংশ। বিপৰ্যয় সদৃশ এনে বৃদ্ধিয়েও কিন্তু তেতিয়াৰ ৰাজ্য চৰকাৰসমূহক সচেতন কৰিব নোৱাৰিলে। ঘাইকৈ তেতিয়াৰ পূব পাকিস্তান আৰু এতিয়াৰ বাংলাদেশৰ পৰাই এইবোৰ মানুহ আহে। অজনজাতীয় লোকসকলে তেওঁলোকৰ সংখ্যা বঢ়োৱাৰ লগতে তেওঁলোকৰ অৰ্থনৈতিক প্ৰতিপত্তিকে ধৰি সকলো প্ৰতিপত্তি বঢ়াই ল'লে। সংবিধানে দিয়া বিভিন্ন ৰক্ষাকৱচ তথা সত্বেও কাৰবি আংলঙত অজনজাতীয়ৰ প্ৰাধান্য বিস্তাৰ হোৱা দেখি এনেবোৰ ব্যৱস্থাৰ অসাৰ্থকতা সম্পৰ্কে নিশ্চিত ধাৰণা হৈছে। প্ৰব্ৰজনৰ ফলত হোৱা প্ৰবল হেঁচাই যি অস্থৈৰ্যৰ সৃষ্টি কৰিলে তাক আঁৰ কৰিবৰ বাবেই প্ৰব্ৰজিত হৈ অহা সকলবে একাংশই জনজাতীয় ৰাইজক বিভ্ৰান্ত কৰিবলৈ লয়। এই ক্ষেত্ৰত বিভিন্ন ৰাজনৈতিক স্বাৰ্থ লগ লগাত গোটেই কথাটোৰ পাক বাঢ়ি যায়।

কিন্তু ন্যস্ত স্বাৰ্থৰ প্ৰবোচনাত পৰি ভুল পথেদি গ'লে কাৰবি ৰাইজেই আটাইতকৈ বেছিকৈ ক্ষতিগ্ৰস্ত হ'ব। এতিয়াই এইসকল ৰাইজ অভিমন্যুৰ বেহুত সোমাই পৰিছে আৰু তাৰ সুবিধা বহিৰাগত বিশেষ গোষ্ঠী এটাই গ্ৰহণ কৰিছে। কাৰবি আংলং পৃথক ৰাজ্য হ'লে বা কেন্দ্ৰীয় শাসিত অঞ্চল হ'লে কাৰবি ৰাইজেই সেই একে চাম লোকৰ অখণ্ড প্ৰতাপৰ অধীনত আৰু বাধাগ্ৰস্ত হ'ব। সেইদেখি অসমৰ অৱশিষ্ট অংশৰ লগত মনেৰে আৰু কায চাপি আহিহে সমস্যাৰ সমাধান বিচাৰিব লাগিব। লগতে সুদীৰ্ঘ কালৰ উপেক্ষাৰ প্ৰতিকাৰ কৰাৰ বাবে অসমৰ অৱশিষ্ট অংশৰ ৰাইজে কাৰবি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ উন্নয়নৰ বাবে বিশেষ খৰতকীয়া ব্যৱস্থা লোৱাৰ বাবে দাবী তুলিব লাগিব। এই ক্ষেত্ৰত অসম গণ পৰিষদ চৰকাৰৰ দায়িত্ব-সচেতনতাৰ পৰিচয় অসমৰ ৰাইজে শীঘ্ৰে পোৱা উচিত। শোষণমুক্ত কৰাৰ বাবে চোৱা ব্যৱস্থাৰ প্ৰয়োজন; মাটিৰ অধিকাৰৰ পৰা বঞ্চিত হোৱা কাৰবি ৰাইজক পুনৰ মাটিত প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা হ'ব লাগিব। উল্লেখযোগ্য যে অজনজাতীয় লোকৰ হাতলৈ মাটি যাব নোৱাৰা ব্যৱস্থা থকা সত্বেও কাৰবি আংলং জিলাত অজনজাতীয় তথা নাগৰিকত্বৰ ক্ষেত্ৰত সন্দেহ থকা অলেখ লোক মাটিৰ গৰাকী হ'ব পৰা কথাটোৱেই স্বায়ত্ত শাসনৰ সাম্প্ৰতিক ব্যৱস্থাই জনজাতীয় স্বাৰ্থ পূৰণ কৰিব নোৱাৰাৰ নিদৰ্শন দাঙি ধৰিছে। এই সকল ৰাইজৰ স্বাৰ্থ প্ৰকৃততে পূৰণ কৰাৰ অৰ্থে স্বায়ত্ত শাসিত জিলা হিচাপে থকা বিধি-ব্যৱস্থাবোৰৰ পৰিবৰ্তন সাধিব লাগে। সাম্প্ৰতিক ব্যৱস্থাই আমোলাতান্ত্ৰিক স্বেচ্ছাচাৰ, দুৰ্নীতি আৰু সংকুচিত ক্ষমতাৰ বাধাৰ বাবে ইপ্সিত ফল নিদিয়াৰ উপৰিও কাৰবি ৰাইজৰ স্বাৰ্থহে হানি কৰিছে। আনহাতে কাৰবি ভাষাৰ সমৃদ্ধিৰ বাবে চৰকাৰৰ তৰফৰ পৰা তৎকালেই ব্যৱস্থা হাতত হ'ব লাগে।

অনুৰূপ অৱস্থা উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চলটো হৈছে। ব্যাপক-প্ৰব্ৰজনে উত্তৰ কাছাৰ ডিমাচা আদি জনজাতীয় লোকসকলক বিপৰ্যস্ত কৰিছে। তাতো এতিয়া অজনজাতীয় লোকৰ প্ৰাধান্যই বিস্তাৰ লাভ কৰিছে। বুৰঞ্জীয়ে বিঙিয়াই থকা সম্পৰ্কৰ কথা পাহৰি যোৱা হ'ল। আজিও সেই অঞ্চলৰ শিলালিপিয়ে পূৰ্বৰ সম্পৰ্কৰ কথা বোবা বেদনাৰে প্ৰকাশ কৰি থকা সত্বেও উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চলৰ প্ৰতি দেখুওৱা নিস্পৃহ মনোভাবৰ ফলতে আজিৰ সমস্যাৰ উদ্ভৱ হৈছে। এই অৱহেলাৰ প্ৰায়শ্চিত্ত হ'ব লাগে। অঞ্চলটোৰ উন্নয়নৰ বাবে ব্যাপক ব্যৱস্থা হাতত লোৱাৰ উপৰিও ডিমাচা আদি জনজাতিক সুপ্ৰতিষ্ঠিত কৰা আৰু ডিমাচা ভাষাক ঠন ধৰাই তোলাৰ বাবে ব্যৱস্থা হাতত ল'ব লাগে।

অন্যান্য জনজাতি ঃ মিচিং, ৰাভা আদি জনজাতীয় লোকৰ মাজতো ভাষাক কেন্দ্ৰ কৰিয়েই বিভিন্ন দাবী উঠিছে। স্বীকৃত ভাষা-নীতিৰ পৰিসীমাৰ ভিতৰত এইবোৰ ভাষাৰ উন্নয়নৰ বাবে লোৱা ব্যৱস্থাৰ প্ৰতি আমি সমৰ্থন জনাম। এইখিনিতে কৈ থ'ব পাৰি যে ভাষাক ৰাজনীতিৰ হাতিয়াৰ কৰি এটা সীমালৈহে আগুৱাব পাৰি। সেই সীমাৰ বাহিৰত বাস্তৱৰ কঠোৰতাই সংশ্লিষ্ট ৰাইজকহে আঘাত হানিব। এইসকল ৰাইজৰ সমস্যাৰ সমাধানৰ বাবে আন্তৰিক প্ৰচেষ্টা চলোৱাটোকে আমি বিচাৰো। ১৯৭১ চনৰ পিয়ল মতে ৰাজ্যৰ মুঠ জনসংখ্যাৰ তুলনাত মিচিং জনজাতীয় লোক শতকৰা ১.২১ ভাগ। অৱশ্যে তেতিয়াৰ অবিভক্ত ডিব্ৰুগড় জিলাত ১৭.৯৩ শতাংশ মিচিং লোক আছিল। স্বীকৃত ভাষা-নীতিৰ গাথনিৰ ভিত্তিতে সেই অঞ্চলত জিলা

পর্যায়ত মিচিং ভাষাৰ সম্বৰ্দ্ধনৰ বিশেষ ব্যৱস্থা কৰাৰ আমি বিৰোধিতা নকৰো।

চাহ শ্ৰমিক ঃ সম্প্ৰতি চাহ বাগিচাৰ শ্ৰমিকসকলৰ মাজতো বিভিন্ন দাবী উত্থাপিত হৈছে। বৃটিছৰ যুগত চাহ শ্ৰমিক সকলক বিচ্ছিন্ন কৰি ৰখা হ'ল। কিন্তু স্বাধীনতাৰ পিচত চাহ শ্ৰমিকসকলৰ অৱস্থাৰ পৰিবৰ্তন ঘটোৱা হ'ল যদিও অসমৰ নেতৃত্বই মূল প্ৰবাহৰ মাজলৈ সেইসকলক অনাৰ বাবে কোনো উল্লেখযোগ্য পদক্ষেপ লোৱা দেখা নগ'ল। অৱশ্যে একাংশ চাহ শ্ৰমিকে নিজাববীয়াকৈ মূল প্ৰবাহৰ মাজত প্ৰবেশ কৰিলে। চৰকাৰী প্ৰচেষ্টা বা সচেতন জনমতৰ প্ৰচেষ্টা এই ক্ষেত্ৰত নিচেই দুৰ্বল বুলিহে ক'ব লাগিব। শিক্ষাৰ প্ৰসাৰৰ বাবেও যি চেষ্টা ল'ব লাগিছিল, সেই চেষ্টা পূৰ্বতে লোৱা নহ'ল। এতিয়াৰ নতুন চৰকাৰেহে চাহ বাগিচাৰ স্কুল চৰকাৰৰ অধীনলৈ নিয়াৰ দায়িত্ব লৈ এটা সবল খোজ পেলাইছে। প্ৰাক্তন চাহ বনুৱাক মাটি দিয়াক চাহ বনুৱাৰ পৰিয়ালৰ মানুহক চাকৰি, বৃত্তি, ব্যৱসায়ৰ সুবিধা দিয়াৰ ক্ষেত্ৰত যি পৰিকল্পিত ব্যৱস্থা হাততল'ব লাগিছিল, তেনে ব্যৱস্থাও আগতে কৰা নহ'ল—অৱশ্যে খুচুৰা ভিত্তিত কৰাটো বেলেগে কথা।

চাহ শ্ৰমিকৰ মনৰ তিক্ততাৰ সুযোগ লৈ কিছুমানে ৰাজনীত খেলাটো পৰিলক্ষিত হৈছে। সম্প্ৰতি অসমৰ কেতবোৰ চাহ বাগিচা বিশেষ কিছুমান লোকৰ হাতলৈ গৈছে। তাৰে কিছুমান চাহখেতিৰ বাবে সম্পূৰ্ণ নবাগত—চাহ উদ্যোগতকৈ আন উদ্যোগৰ লগতহে তেওঁলোক বেছিকৈ জড়িত। এইবোৰ পৰিবৰ্তনে চাহ উদ্যোগৰ ক্ষেত্ৰত কেতবোৰ সালসলনি ঘটোৱাৰ লগতে চাহ বাগিচাৰ নিয়োগ-নীতিবো পৰিবৰ্তন সাধিছে। এতিয়া বহুতো চাহ বাগচাৰ নিযুক্তি থলুৱা স্বাৰ্থৰ পৰিপন্থী হোৱাৰ লগে লগে কেতবোৰ চাহ বাগিচাৰ পৰিবেশো সলনি হৈছে। তেনে পটভূমিত চাহ শ্ৰমিকৰ একাংশৰ মাজতো বিৰূপ মনোভাৰ দেখা গৈছে। তাৰ লগতে ৰাজনীতী, ধৰ্মান্তৰকৰণৰ ফলত হোৱা পৰিবৰ্তিত পৰিবেশ আদিয়েও পৰিস্থিতিৰ মাজলৈ জটিলতা কঢ়িয়াই আনিছে।

চাহ শ্ৰমিকৰ মাজত সোমোৱা ভুল ধাৰণা দূৰ কৰা আৰু চাহ শ্ৰমিকে যাতে প্ৰাপ্য সা-সুবিধা পায় তাৰ বাবে সমবেত উদ্যম হাতত লোৱাটো প্ৰয়োজনীয়। অসমৰ চাহ বাগিচাসমূহত দেশৰ বিভিন্ন অঞ্চলৰ পৰা অহা লোক আছে। সেইসকলক অনুসূচিত জনজাতিৰ পৰ্যায়ত ধৰাৰ বাবে এতিয়া দাবী উঠিছে। সম্প্ৰতি সংৰক্ষণৰ বাবে যি দাবীৰ জোৱাৰ উঠিছে, সেই জোৱাৰে চাহ শ্ৰমিককো প্লাবিত কৰিছে। বিভিন্ন লোক সমষ্টিৰ পৰা সংৰক্ষণৰ এনে দাবী উঠিছে। সংৰক্ষণে যাদুকৰৰ প্ৰভাৱেৰে সংৰক্ষিত লোকৰ যে প্ৰকৃত উপকাৰ সধা নাই—সেইকথা স্বীকাৰ কৰিব লাগিব। তথাপি ৰাজনৈতিক কাৰণত এই প্ৰসংগই প্ৰাধান্য পাইছে আৰু লগতে এটা গোঁজ পোতা স্বাৰ্থয়ো গঢ় লৈছে। আন আন ৰাজ্যত সংৰক্ষিত তালিকাত অন্তৰ্ভুক্ত হোৱা সম্প্ৰদায়ৰ কিছুমান লোকে অসমৰ চাহ বাগিচাত কাম কৰি আছে। সেইসকল লোকৰ বাবে অসমতো সংৰক্ষিত তালিকাৰ অন্তৰ্ভুক্তি বিচাৰা হৈছে। পিচে সেই তালিকাৰ ভিতৰত থকা আন ৰাজ্যৰ লোক সকলতকৈ অসমত থকা সকল ইতিমধ্যে উন্নত পৰ্যায়ত আছে। আনহাতে অসমৰ চাহ শ্ৰমিকৰ এটা অংশ খৃষ্টান ধৰ্মত ইতিমধ্যে দীক্ষিত হৈছে—ধৰ্মান্তৰ গ্ৰহণ কৰাসকল অনুসূচিত জনজাতিৰ তালিকাভুক্ত হোৱাৰ থলো নেথাকিব। যদি ৰাজনৈতিক হেঁচাত চাহ শ্ৰমিকৰ ক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা কৰিবলগীয়া হয়গৈ, তেন্তে চাহ শ্ৰমিককো আচুতীয়া কৰি ৰখাৰ প্ৰক্ৰিয়াহে কাৰ্যতঃ আৰম্ভ হ'ব। সেইদেখি এই ক্ষেত্ৰত সতৰ্কতাৰ প্ৰয়োজন। যদি নিত্যন্ত কিবা কৰিবলগীয়া হয়, তেন্তে আন আন ৰাজ্যত সংৰক্ষিত তালিকাত অন্তৰ্ভুক্ত হোৱা সম্প্ৰদায়বোৰৰ যিসকল অসমৰ চাহ বাগিচাত আছে, তেওলোকৰ জনসংখ্যাৰ নিম্নতম সংখ্যা এটা বাদ্ধি দি সেই সংখ্যাৰ বা ততোধিক লোক থকা সকলৰ বেলিকাহে এনে ব্যৱস্থা কৰাৰ কথা চিন্তা কৰিব পাৰি।

ৰবাক উপত্যকা ঃ অসম সাহিত্য সভাৰ অধিবেশনৰ ৰবাক উপত্যকাত পতাৰ ক্ষেত্ৰত যিসকলে সহজ দৃষ্টিৰে কথাটোলৈ লক্ষ্য কৰিব পৰা নাই, সেইসকলৰ সৰহ ভাগেই সেই উপত্যকালৈ নতুনকৈ অহা লোক। অসমৰ বুৰঞ্জীৰ উম সেইসকলে পোৱা নাই। সেইসকলে কথাটো সহজভাৱে ল'ব নোৱাৰাটো স্বাভাৱিক। আমাৰ কৰ্তব্য হ'ল—সেইসকলৰ মনৰ খোকোজা আঁতৰাই সেইসকলৰ আগত প্ৰকৃত ছবিখন দাঙি ধৰিবলৈ চেষ্টা কৰা আৰু সেই সকলকো কাৰ চপাই আনিবলৈ চেষ্টা কৰাটো। ৰবাক উপত্যকাত অসম সাহিত্য সভাৰ অধিবেশন পাতি সেই অঞ্চলত বাংলা ভাষাক বিপৰ্যস্ত কৰাৰ চক্ৰান্ত কাৰো নাই। বাংলাৰ দৰে সমৃদ্ধ ভাষা-সাহিত্য-সংস্কৃতিক পৃথিবীৰ কোনো শক্তিয়ে বিপৰ্যস্ত কৰিব নোৱাৰে। যি ভাষাই ভাৰতৰ দুখন ৰাজ্য, ভাৰতৰ বিভিন্ন ৰাজ্যৰ বাংলাভাষী লোক আৰু বাংলাদেশৰ শক্তিৰ দ্বাৰা শক্তিমান স্থিতি লাভ কৰিছে, সেই ভাষাৰ বিৰুদ্ধে অসমীয়া ভাষাই যুঁজাৰ প্ৰশ্নই উঠিব নোৱাৰে। অসমৰ বিভিন্ন ঠাইত বংগ সাহিত্য সম্মিলন পাতোতে যি প্ৰশ্ন উঠাৰ কাৰণে কোনো অৱকাশ নাছিল, সেই প্ৰশ্ন

বৰাক উপত্যকাত অসম সাহিত্য সভাৰ অধিবেশন পতাৰ বেলিকাও উত্থাপিত হোৱাৰ কোনো অৱকাশ থাকিব নোৱাৰে। কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি অসমৰে ভিতৰুৱা অঞ্চল। ইয়াত অসম সাহিত্য সভাৰ অধিৱেশন পতাৰ ক্ষেত্ৰত কিবা অসৎ অভিপ্ৰায় থকা বুলি ভবাটোৱেই দুৰ্ভাগ্যজনক কথা।

এতিয়া বুৰঞ্জীৰ হাকুটি লগাই সমন্ধৰ কথা ফঁহিয়াই দেখুৱাবলৈ নেযাওঁ। ৰাজনীতিয়ে বুৰঞ্জীক নেফানেফ কৰি আমাৰ মনক ভাগ ভাগ কৰিলে। কাছাৰ অঞ্চলৰ লগত থকা সম্পৰ্কৰ কথাক এতিয়া ৰাজনীতিয়েই গৌণ কৰিলে। কিন্তু তাৰ মাজতো অসমৰ অৱশিষ্ট অঞ্চলৰ লগত সম্পৰ্ক অটুট ৰখাৰ বাবে এই অঞ্চললৈ অলেখ লোকে তাহানিৰে পৰা চেষ্টা কৰি আহিছে। অসম আৰু অসমীয়া ভাষাৰ লগত সম্পৰ্ক ৰক্ষা কৰা সম্পৰ্কত বৰাক উপত্যকাত থকা সচেতনতাৰ কথা তথা অসমীয়া ভাষাৰ হকে জীৱন আহুতি দিয়া এই অঞ্চললৈ খিলঞ্জীয়া লোকৰ কথা কোনেও নুই কৰিব নোৱাৰে।

১৯২৭ চনতে ছিলেটত অসম সাহিত্য সভাৰ শাখা গঠিত হৈছিল। শিলচৰত ১৯৫৩ চনত সাহিত্য সভাৰ শাখা গঠিত হয়। এইবাৰ অসম সাহিত্য সভাৰ অধিবেশন বহিছে—হাইলাকান্দিত-হাইলাকান্দিৰ ৰাইজৰ আমন্ত্ৰণক্ৰমে। এই আমন্ত্ৰণ গ্ৰহণ কৰা সম্পৰ্কত যোৱাবাৰ পাঠশালা অধিবেশনতে সিদ্ধান্ত লোৱা হৈছিল। বৰাক উপত্যকাৰ খিলঞ্জীয়া হিন্দু-মুছলমান, ডিমাচা কছাৰী, বিষ্ণুপ্ৰিয়া, মেইটি মণিপুৰী, চাহ শ্ৰমিক আৰু বিভিন্ন জনজাতীয় গোষ্ঠীৰ লগতে এই উপত্যকাৰ বাংলাভাষী ৰাইজৰ সৰহভাগৰে সহযোগত পতা এই অধিবেশনে মনৰ মাজত সাঁকো গঢ়ি আমাৰ মনৰ ভুল বুজাবুজি দূৰ কৰক—ইয়কে আমি কামনা কৰিম।

মনৰ সাঁকো ভঙাৰ সুবিধা অৱশ্যে আমি সকলোৱেই উলিয়াই দিলো। দোষৰ ভাগ আমি সকলোৱে ল'ব লাগিব—ৰৰাইলৰ ইপাৰৰ আৰু সিপাৰৰ সকলো লোকে। দেশ বিভাজনৰ পিচত কাছাৰ অঞ্চলত যি হেঁচা পৰিল তাৰ ফলত সৃষ্টি হোৱা সমস্যাবোৰৰ প্ৰতি উচিতভাৱে দৃষ্টি দিয়ান নহ'ল। অঞ্চলটোলৈ অজস্ৰ মানুহ আহিল। ১৯০১ চনত য'ত জনসংখ্যা মাত্ৰ ৬ লাখ ২০ হেজাৰ ৩০২ জন আছিল, তেতিয়াৰ সেই কাছাৰত ১৯৫১ চনৰ জনসংখ্যা হ'লগৈ ১১ লাখ ১৫ হেজাৰৰো অধিক। সেই বছৰৰ পিয়লৰ হিচাপ মতে জনবসতিৰ ঘনতা কাছাৰতে অসমৰ ভিতৰত আটাইতকৈ বেছি আছিল—প্ৰতি বৰ্গমাইলত ৪১৫। তাৰ পিচৰ পৰা পৰিস্থিতি আৰু জটিল হ'ল। পৰৱৰ্তী দুটা পিয়লৰ হিচাপেই দেখুৱাই দিলে—সেই অঞ্চলৰ লোকৰ ওপৰত বৰ্দ্ধিত জনসংখ্যাই কিদৰে প্ৰৱল হেঁচা পেলাইছে। সেই হেঁচা পাতলাৰ বাবে তেতিয়া সম্যকভাৱে যোগাত্মক প্ৰচেষ্টা হাতত লোৱা নহ'ল। সেই কাৰণে গাঁও আৰু নগৰ উভয়তে অসন্তুষ্টিয়ে ছাটি ধৰিলে। মাটিৰ ওপৰত হেঁচা বঢ়াত গাঁও অঞ্চলৰ খিলঞ্জীয়া লোকৰ ওপৰত বিশেষ হেঁচা পৰিল। আনপিনে নগৰীয়া অঞ্চলত জনবসতিৰ ঘনতা বাঢ়ি ১৯৫১ চনতে তেতিয়াৰ কাছাৰক অসমৰ ভিতৰতে দ্বিতীয় স্থানত উপনীত কৰালেগৈ। নগৰীয়া অঞ্চলত উদ্যোগ আদি নথকাত সংস্থানৰ সমস্যাই কঠোৰ ৰূপ ধাৰণ কৰিলে। এইদৰে পুঞ্জীভূত হোৱা অসন্তুষ্টিক আন উদ্দেশ্যত কামত লগাবলৈ শাণত দিয়াৰ সুযোগ উলিয়াই দিয়া হ'ল—অঞ্চলটোৰ সমস্যাৰ সম্যক বিচাৰ লৈ ততাতৈয়াকৈ ব্যৱস্থা হাতত নোলোৱাৰ বাবে। কাছাৰ অঞ্চললৈ অহা নবাগত সকলৰ একাংশই নেতৃত্ব লৈ খিলঞ্জীয়া সকলক ৰাজনৈতিক-অৰ্থনৈতিক সকলো দিশৰ পৰাই আঁতৰাই দখল লোৱাত আকৌ তাহানিৰ শ্ৰীহট্টই লোৱা ভূমিকাৰ সদৃশ অৱস্থাৰ সৃষ্টি হ'ল। প্ৰতি কথাতে প্ৰত্যাহ্বান আহিল; অসমৰ স্বাৰ্থজড়িত কথাতে অঞ্চলটোৰ পৰা সঁহাৰি নোপোৱা অৱস্থা হ'ল। ফলত ৰৰাইলৰ ইপাৰ-সিপাৰৰ মানুহৰ মনৰ আগত বেৰ গাঁতি দিয়া যেন হ'ল।

সেইখন বেৰকে আমি ভাঙিবলৈ চেষ্টা কৰিবৰ হ'ল। এই চেষ্টাই সকলোৰে পৰা আশীৰ্বাদ পোৱা উচিত। অৱশ্যে এই ক্ষেত্ৰতো হেঙাৰ নথকা নহয়। তাহানি ৰাজ্য পুনৰ গঠন আয়োগে প্ৰতিবেদনত কৈছিল যে বিশেষ কোনো এটা ভাষা কোৱা লোক সংখ্যাগৰিষ্ঠ হৈ থকা ৰাজ্যক আন ৰাজ্যত বাস কৰা সেই একে ভাষাভাষী লোকসকলৰ স্বাৰ্থৰ ৰক্ষক বুলি গণ্য কৰিব নোৱাৰি। এনে মনোভাৱ সংহতিৰ প্ৰতিকূল বুলি আয়োগৰ প্ৰতিবেদনত সঁকিয়াই দিছিল। আমিও আজি সেই একে স্বাৰ্থতে এই কথা উল্লেখ কৰিলো—যাতে আমাৰ মনৰ চুবুৰী ভঙাৰ প্ৰচেষ্টাত চুবুৰীয়া কোনো ৰাজ্যই হকাবাধা নলগায়।

ৰাজনীতিৰ খেলৰ পৰা আঁতৰি আহিলেই ওপৰৰ আকাশ ফৰকাল হৈ পৰিব। অসমীয়া ভাষাক শত্ৰু জ্ঞান কৰাসকলে তেতিয়া বুজিব যে অসমীয়া ভাষাক সম্পূৰ্ণ এঘৰীয়া কৰি বৰাক উপত্যকাৰ লোকেই কাৰ্যক্ষেত্ৰতে অসুবিধাত পৰিব। সেই অঞ্চলৰ লোকৰ চাকৰি, ব্যৱসায়, উদ্যোগ আদিৰ ক্ষেত্ৰ সমগ্ৰ অসম জুৰি উন্মুক্ত হৈ আছে—সেইদেখি সেইসকল লোকৰ স্বাৰ্থতে আৰু সংহতি স্থাপনৰ স্বাৰ্থতে এই ক্ষেত্ৰত বিৰূপ মনোভাৱ দূৰ হ'ব লাগে। অসমীয়া শিকিলেই বাংলা ভাষা বিপন্ন

নহয়। বাংলা ভাষা-সাহিত্যৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া লোকৰ সংখ্যা কম নহয়। ৰবাক উপত্যকাত বাংলাৰ স্থান সুনিশ্চিত হৈ আছে। বিৰোধৰ মানসিকতা দূৰ হ'লেই ৰবাক উপত্যকাৰ সমস্যাৰ সমাধানৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহ কঁকালত টঙালি বান্ধি আগবাঢ়ি আহিব আৰু অসমৰ সমুহীয়া সমস্যাৰ সমাধানৰ বাবেও ৰবাক উপত্যকাৰ মানুহো ৰণশিঙা বজাই আগবাঢ়ি আহিব। এনে মিলিত প্ৰচেষ্টাহে আমাৰ কাৰণে অমোঘ অস্ত্ৰ। চুবুৰীয়া ৰাজ্যই লোকক জলঙাইদি জুমি সমস্যা বঢ়াবহে পাৰিব—আন একোকে কৰিব নোৱাৰে।

অসমৰ 'বলকনাইজেচন'ৰ জৰিয়তে কাৰ স্বাৰ্থ পূৰণ কৰা হ'ল—সেই কথা ভাবি চাবৰ হ'ল। সুকীয়া সুকীয়া ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চল পাতিলে দিল্লীত এই সমুদায় অঞ্চলৰ মত ৰজাবলৈ চেষ্টা কৰাটোৱেই অসাধ্য হৈ পৰিব। ইতিমধ্যে আমি দেখিছো যে সৰু সৰু ৰাজ্যবোৰৰ উপস্থিতিয়ে যোগ্য স্বীকৃতি লাভ কৰা নাই। ৰাজ্য সভাত যদি সৰু-ডাঙৰ সকলো ৰাজ্যৰ কাৰণে সমান সমান আসন থাকিলহেঁতেন তেতিয়াও কিছু ভাৰসাম্য ৰক্ষা পৰিলহেঁতেন। কিন্তু তেনে কৰা নহ'ল। যিবোৰ ৰাজ্যই জনসংখ্যাৰ ভিত্তিত সৰহ সংখ্যক সংসদী সদস্য লোকসভালৈ নিৰ্বাচিত কৰিছে, সেইবোৰ ৰাজ্যৰে কৰ্তৃত্ব স্থাপিত হৈছে। সৰু সৰু ৰাজ্যৰ কম সংখ্যক সংসদী সদস্যই ৰেখাপাত কৰাৰে থল নাই। তাতে উত্তৰ পূৰ অঞ্চলত উদ্যোগ, বাণিজ্য আদিৰ পয়োভৰো কম—সেইদেখি দিল্লীত তেনে সূত্ৰৰ যোগেদি গঠিত শক্তিশালী 'লবী'ও নাই। সম্প্ৰতি দিল্লীত বিভিন্ন 'লবী'য়ে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি গতিপথ নিয়ন্ত্ৰণ কৰি আছে। এনে অৱস্থাত আমি এই অঞ্চলক আৰু টুকুৰা-টুকুৰ কৰি হাতৰ কুঠাৰ ভৰিত মাৰি লোৱাৰ নিচিনাহে হ'ব। সংসদী প্ৰতিনিধিৰ ওজন তেতিয়া আৰু কমিব আৰু আমি তেতিয়া দিশহাৰা হ'বলগীয়া হ'ব।

ঘনীভূত সংকট ঃ আমাৰ সাম্প্ৰতিক স্থিতিৰ চিনাকি দিবৰ ইমান পৰে এইবোৰ কথা বহলাই দাঙি ধৰিবলগীয়া হ'ল। কিয়নো তেতিয়াহে আমাৰ সাম্প্ৰতিক স্থিতিৰ আচল চিনাকি দিয়া হ'ব। অসমত এতিয়া যি পৰিস্থিতিৰ সৃষ্টি হৈছে, তাৰ তুলনা নাই। অস্তিত্ব ৰক্ষাৰ বাবে চলা সুদীৰ্ঘ আন্দোলনৰ মুৰত হোৱা অসম-চুক্তি যিদৰে গেঠৈলা মাৰি থাকিলে, কেন্দ্ৰই যিদৰে এই ক্ষেত্ৰত আঁহফলা নীতি লৈছে আৰু তাকে কৰি যিদৰে শক্তিশালী ন্যস্ত স্বাৰ্থৰ সমৰ্থন লাভ কৰিছে, যিদৰে অসমৰ অৰ্থনৈতিক শক্তি হস্তান্তৰিত হব লাগিছে, যিদৰে নিয়োগ নীতিয়ে অসমৰ থলুৱা স্বাৰ্থক বিপন্ন কৰিছে, যিদৰে অসমলৈ বোৱা বিদেশী আৰু দেশীয় লোকৰ জনস্ৰোতে নতুন নতুন সমস্যাৰ সৃষ্টি কৰিছে আৰু অসম-চুক্তি মতে প্ৰতিশ্ৰুতিবদ্ধ ৰক্ষাকৱচৰ ব্যৱস্থা কৰা বিষয়টো প্ৰধান মন্ত্ৰীয়ে একে আষাৰেই কাৰ্যতঃ বাতিল কৰি দিছে, যিদৰে অসমৰ সকলো কথাতে ৰাজনৈতিক উপকৰণক অনুপান হিচাপে ব্যৱহাৰ কৰা হৈছে—এইবোৰ কথাই আমাক উদ্বিগ্ন কৰি ৰখাৰ পৰতে এতিয়া আমাৰ মাজতে সৃষ্টি হোৱা ঘৰ ভঙা প্ৰক্ৰিয়াই আমাক এটা চৰম পৰিস্থিতিৰ মাজলৈ ঠেলি নিছে। অসমৰ যদি আৰু বিভাজন ঘটে, জনজাতীয় সকলৰ লগত থকা সাতামপুৰুষীয়া সমন্ধৰ এনাজৰী যদি ছিগি যোৱাৰ পৰিস্থিতি উদ্ভৱ হয়, অসমৰ অবিচ্ছেদ্য অংগ হৈ পৰা চাহ শ্ৰমিকৰ মাজতো যদি সুকীয়া সুৰ ধ্বনি উঠে, জাতিৰ জীৱনত জীণ গৈ শক্তিৰ আধাৰ গঠন কৰা প্ৰক্ৰিয়াক শ্বাস ৰোধ কৰাৰ প্ৰচেষ্টা যদি পূৰ্ণ গতিত চলি থাকে, অসমীয়া ভাষাৰ স্থিতিৰ পথত যদি অলংঘনীয় প্ৰাচীৰ গঢ়াৰ উদ্যম চলে—তেন্তে আমাৰ সংকট ঘনীভূত হোৱাৰ নুবুলি কি বুলিম?

সৰ্বাত্মক প্ৰস্তুতি ঃ এই সময়ত আমি কেনে কাৰ্যপন্থা হাতত ল'ব লাগিব সেই বিষয়ে স্থিৰ কৰি সৰ্বাত্মক প্ৰস্তুতিৰে কামত আগবাঢ়িব লাগিব। অৱশ্যে নিৰাশাৰ বাণীৰে কাৰো মন হিম-চেঁচা কৰিব খোজা নাই। ক্ষুদ্ৰ জাতি একোটাই নিজৰ নিজৰ ভাষা-সংস্কৃতি-সভ্যতা প্ৰাতকূল পৰিবেশৰ মাজতো অটুট স্বাস্থ্যৰে ৰক্ষা কৰাৰ উদাহৰণ এইখন পৃথিৱীতে আছে। অসমেও ইতিমধ্যে বহুতো প্ৰতিকূল পৰিস্থিতি অতিক্ৰম কৰিছে। সংগ্ৰামে মন চনকা নকৰে—পাহৰালহে কৰে। তেনে পাহৰাল মনেই সঠিক মূল্যাংকনেৰে সাধনাৰ ব্ৰত ল'বলৈ আমাক সঁকিয়াই দিব।

এইখন পটভূমিৰ পৰাই অসম সাহিত্য সভাই নতুন উদ্যম হাতত ল'ব লাগিব। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ত গতানুগতিক স্থিতিৰ মাজত নিজক আৱদ্ধ নেৰাখি অসম সাহিত্য সভাই অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত ভাগ লৈ সাহসী পদক্ষেপ দিছিল। কিছুমানে অৱশ্যে তাকে ভাল বোলা নাছিল। পিচে অস্তিত্ব ৰক্ষাৰ বেলিকা নিৰ্লিপ্ত ভূমিকা লৈ ত্ৰিশংকুৰ দৰে থাকি অসম সাহিত্য সভাই বিদুষকৰ ভূমিকাহে লোৱা হ'লহেঁতেন—অসমীয়া সাহিত্য-সংস্কৃতি-ভাষাৰ একনিষ্ঠ সেৱকৰ নিৰ্ভাজ চিনাকি নিদিলেহেঁতেন। বলিষ্ঠ মনেৰে এতিয়াৰ নতুন সমস্যাৰ সন্মুখীন হোৱাৰ বাবেও অসম সাহিত্য সভাই নতুন পদক্ষেপ দিব

লাগিব। বাইজৰ শ্ৰদ্ধাৰ অধিকাৰী হোৱা অসম সাহিত্য সভাৰ পৰা বাইজে বহুতখিনি আশাও কৰে।

অসমীয়া ভাষাৰ স্থিতি দুৰ্বল কৰি অসমত কোনো ন্যস্ত স্বাৰ্থ সাব্যস্ত কৰাৰ প্ৰয়াস অহৰহ চলি আছে। এনে অৱস্থাত আমি হোইঁকা-পিচলা কৰি থকাৰ সময় নাই। আমাৰ প্ৰতি সহায়ৰ হাত আনে আগবঢ়াব বুলি আশা কৰাৰো থল নাই। কেন্দ্ৰীয় চৰকাৰেও সময়ত দুমুখীয়া নীতি লৈ আমাৰ আহুকালহে বঢ়াইছে। ত্ৰিভাষা সূত্ৰকে অসমত অচল কৰাৰ প্ৰচেষ্টা চলাৰ মুহূৰ্ততো কেন্দ্ৰ নিৰ্বিকাৰ। অৱশ্যে ভাৰতৰ ভাগ্য বিধাতা হৈ থকা উত্তৰ প্ৰদেশতে ত্ৰিভাষা সূত্ৰ মনা নাই। কেন্দ্ৰৰ নীতি কেতিয়া কোনমুৱা হয় তাৰো ঠিকনা নাই। নৱোদয় বিদ্যালয়ত ৮ম মান শ্ৰেণীৰ পিচৰপৰা অকল হিন্দী আৰু ইংৰাজীক সামৰি লৈ আঞ্চলিক ভাষাক এলাগী কৰা ব্যৱস্থাই ৰাজ্যভাষা আৰু মাধ্যমৰ ক্ষেত্ৰত গুৰুত্বৰ সমস্যা সৃষ্টি কৰিবগৈ পাৰে।

কেন্দ্ৰৰ নীতিৰ বাবেই একালত অৰুণাচল প্ৰদেশ আৰু অসমৰ মাজত থকা সম্পৰ্ক এতিয়া থানবান হৈ গ'ল। অৰুণাচল প্ৰদেশৰ (তেতিয়াৰ নেফা) বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰকাশৰ মাধ্যম ৰূপে থকা অসমীয়া ভাষাই অসমীয়া ভাষাৰ সম্প্ৰসাৰণবাদী অভিযানৰ ফলত নেফাত থিতাপি লোৱা নাছিল। সেই অঞ্চলৰ ৰাইজৰ ব্যৱহাৰিক তাগাদাতহে থিতাপি লৈছিল। কেন্দ্ৰৰ হৰ্তা-কৰ্তাসকলে সেই কথাও স্বীকাৰ কৰিবলৈ টান পালে আৰু অনুক্ৰমে অসমীয়া ভাষাক আঁতৰোৱাৰ বাবে আত্মনিয়োগ কৰিলে। কিন্তু চীনে ভাৰত আক্ৰমণ কৰা সময়ত হঠাৎ চীনৰ তেতিয়াৰ পিকিং ৰেডিঅ'ই যেতিয়া নেফাৰ ৰাইজৰ বাবে অসমীয়া ভাষাত প্ৰচাৰ চলালে তেতিয়া দিল্লীত ধৰফৰণি লাগিল। সেই সময়ৰ কথাকাশু বিষয়ে ব্যক্তিগত অভিজ্ঞতাৰ পৰা কিছু কথা ক'ব পাৰি। আকাশবাণীৰ বাতৰি বিভাগৰ চাকৰিয়াল হিচাপে তেতিয়া নতুন দিল্লীত কাম কৰি আহিলো। চীনা প্ৰচাৰৰ চোক কমাবলৈ কেন্দ্ৰীয় চৰকাৰে হঠাৎ নেফাৰ ৰাইজৰ বাবে অসমীয়া বাতৰি প্ৰচাৰ কৰিবলৈ খৰখেদা লগালে। মোক গুৱাহাটীলৈ বদলি কৰি আনি নেফাৰ বাবে অসমীয়া বাতৰি যুগুতাবলৈ দিলে। মই যুগুতাই দিয়া অসমীয়া বাতৰি একালৰ প্ৰখ্যাত ফুটবল খেলুৰৈ শ্ৰীইন্দ্ৰজিৎ নামচুং আৰু এতিয়া সম্ভৱতঃ পাছিঘাট অনাতাঁৰ কেন্দ্ৰত কাম কৰা শ্ৰীযতীন্দ্ৰ মৰাঙে গুৱাহাটী কেন্দ্ৰৰ পৰা পৰিবেশন কৰিছিল।

কিন্তু তেতিয়াৰ প্ৰয়োজনৰ তাগাদাতহে অসমীয়া ভাষাক আদৰি লোৱা হৈছিল। মূৰকত অসমীয়া ভাষা নেফাৰ পৰা বিতাৰিত হ'ল। অথচ ১৯৫৯ চনত লোকসভাক তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে আশ্বাস দিছিল যে নেফাত অসমীয়া ভাষা শিকোৱা হ'ব; আনকি অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ বাবে উৎসাহিত কৰাৰ সম্ভাৱনাৰো বিচাৰ লোৱা হ'ব বুলি স্বৰ্গীয় প্ৰধান মন্ত্ৰী গৰাকীয়ে কৈছিল। কিন্তু মূৰকত সকলো ফুটুকাৰ যেন হ'ল। বিহাৰৰ সীমাৰ পৰা উৰিষ্যা, পশ্চিমবংগ আৰু অসমক ডেই আহি "প'ল-জাম্প" মাৰি হিন্দী ভাষাই অৰুণাচল প্ৰদেশত ৰৰপীয়া পাৰি বহি ল'লে। অৰুণাচল প্ৰদেশ হিন্দীভাষী হৈ পৰিল। মাধ্যমো হিন্দী হ'ল।

পিচে বেলিৰ মুখত সোপা দিয়াটো টান। সেইদেখি ১৯৮৬ চনতো পাছিঘাটৰ আকাশবাণী কেন্দ্ৰৰ বাতৰি বিভাগৰ চাকৰিত মকৰলৰ বাবে দিয়া বিজ্ঞাপনত 'অৰুণাচল-অসমীয়া' জনাটো বাধ্যতামূলক অৰ্হতা বুলি উল্লেখ কৰিবলগীয়া হ'ল। সেয়ে স্বৰূপ উদঘাটন কৰি দিছে। কিন্তু ইতিমধ্যে অৰুণাচল প্ৰদেশৰ জনজাতীয় লোকসকল বাধাগ্ৰস্ত হৈ পৰিল। সেই অঞ্চলৰ চাকৰি-বাকৰিতে হিন্দীৰ অৰ্হতাৰ যোগেদি হিন্দীভাষী লোকে কিদৰে সিংহভাগ অধিকাৰ কৰি আছে, তাৰ পৰিচয় হয়তো অৰুণাচল প্ৰদেশৰ সীমাৰ বাহিৰৰ বহুতেই নেপায়।

অনুকূল মানসিকতা ঃ অসমীয়া ভাষাৰ প্ৰতি অনুকূল মানসিকতা গঢ়াৰ প্ৰচেষ্টাৰো নিতান্ত প্ৰয়োজন। অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ বঢ়াত সহায় কৰিবপৰা ধৰণৰ গ্ৰন্থ প্ৰকাশ কৰাত মনোনিবেশ কৰিব লাগে। ব্যৱহাৰিক জীৱনত কামত অহা বিষয়ৰ কিতাপ-পত্ৰই বহুতক অসমীয়া ভাষাৰ কাষলৈ আনিব পাৰিব। উদাহৰণ স্বৰূপে ট্ৰেনজিষ্টৰ মেৰামতি কৰাৰ বিষয়ে সহজ সৰলভাৱে লিখা কিতাপে তেনে ৰাপ থকা সকলো লোকৰে মনৰ কাষচাপিব পাৰিব। উদ্যোগ, বেপাৰ-বাণিজ্য আদিৰ বেলিকা এই দিশৰ পৰা আমি চিন্তা কৰা উচিত। একালত তিব্বতৰ লগত অসমৰ এড়ী কাপোৰৰ ডাঙৰ ব্যবসায় চলিছিল — সেই ব্যৱসায়িক আদান-প্ৰদানৰ যোগেদিয়েই তিব্বতৰ কিছুমান মানুহ অসমীয়া ভাষা ক'ব পৰা অৱস্থাত উপনীত হৈছিল। আমি সেই দিশটো উপেক্ষা কৰি আহিছো।

বিভিন্ন বিষয়ৰ উপযুক্ত কিতাপ উলিয়াই আমি অসমীয়া ভাষাৰ প্ৰতি আকৰ্ষণ বঢ়াব পাৰো। দৈনন্দিন জীৱনৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা বিভিন্ন বিষয়ৰ কিতাপ আৰু বিজ্ঞান, কাৰিকৰী বিজ্ঞান আদি বিষয়ৰ কিতাপ উলিয়াই আমি অন্য ভাষা-ভাষীৰ

মাজতো পঢ়ুৱৈ বিচাৰি পাম। অসমীয়া মৌলিক গ্ৰন্থ যদি উচ্চ পৰ্যায়ৰ হয়—তেতিয়াও পঢ়ুৱৈৰ সীমা বহল হ'ব।

প্ৰকাশন ঃ সেই দেখি এই ক্ষেত্ৰত এটা পৰিকল্পিত প্ৰচেষ্টাৰ প্ৰয়োজন। এই বিষয়ত অসম সাহিত্য সভা, অসম চৰকাৰ, প্ৰকাশন পৰিষদ আৰু অসমৰ বিশ্ববিদ্যালয়ৰ কেইখনৰ মাজত সমন্বয়পূৰ্ণ যৌথ উদ্যম এটাৰ প্ৰয়োজন। যিহেতু বিত্তীয় সীমাবদ্ধতাই হেঙাৰ পুতিব—সেইকাৰণে এনে পৰিকল্পিত যৌথ প্ৰচেষ্টাৰ প্ৰয়োজন। লগতে চাব লাগে যাতে ওপৰাওপৰিকৈ একে বিষয়ৰ পুথিকে একাধিক মহলৰ পৰা নোলায় আৰু চৰ্বিত চৰণ নহয়। সেইদেখি সমন্বয়ৰ বিশেষ প্ৰয়োজন।

প্ৰকাশনৰ ক্ষেত্ৰত নতুন বিচাৰৰ প্ৰয়োজন। বিত্তীয় অসুবিধাৰ বাবে বহুত লেখকে কিতাপ প্ৰকাশ কৰিব নোৱাৰে। সেই অসুবিধা দূৰ কৰাৰ বাবে এসময়ত অসমত ৰাজ্য চৰকাৰ তৰফৰ পৰা প্ৰকাশন পৰিষদ আঁতৰি গ'ল। এই সংক্ৰান্তত থকা বিধি-ব্যৱস্থাবোৰৰ কাৰণেই পৰিষদ যদি অসুবিধাত পৰিছিল, তেন্তে সেই নিয়মৰ সালসলনি ঘটাই অসুবিধা আঁতৰোৱাৰ ব্যৱস্থাহে কৰা উচিত আছিল। প্ৰকাশন পৰিষদৰ ভাল কামবোৰ স্বীকাৰ কৰিবই লাগিব; কিন্তু লেখকক কিতাপ প্ৰকাশ কৰাৰ বাবে দিয়া সুবিধাৰ পৰা বঞ্চিত কৰি অন্যায় কৰিলে।

ৰাজ্য চৰকাৰ দায়িত্ব এতিয়া বেছি। ৰাইজৰ বহুতো ইচ্ছা-আকাংক্ষাৰ বোজা বৈ শাসনত অধিষ্ঠিত হোৱা এতিয়াৰ ৰাজ্য চৰকাৰ পৰা ৰাইজে বহুতখিনি আশা কৰে। ৰাজ্য চৰকাৰে প্ৰকাশনৰ বেলিকা অধিক পৰিকল্পিত প্ৰচেষ্টা হাতত ল'ব লাগে। যিবোৰ বিষয়ৰ কিতাপৰ অভাৱ আছে, তেনে বিষয়ৰ কিতাপ ৰচনা কৰাৰ বাবে আৰু জনজাতীয় ভাষাসমূহৰ বিভিন্ন কিতাপ যুগুতাই প্ৰকাশ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বিশেষ প্ৰচেষ্টা হাতত লোৱা উচিত। চৰকাৰী মঞ্জুৰী দি বেচৰকাৰী প্ৰকাশন প্ৰতিষ্ঠানকো চৰকাৰে কেতবোৰ দায়িত্ব দিব পাৰে। বিভিন্ন খিলঞ্জীয়া ভাষাৰ বিকাশৰ বাবে চৰকাৰেই ব্যৱস্থা ল'ব লাগিব। অসমৰ বিশ্ববিদ্যালয় কেইখনেও অধিক যোগাত্মক প্ৰচেষ্টা হাতত লৈ প্ৰকাশনৰ বেলিকা পথ সুগম কৰাত সহায় কৰিব পাৰে।

পাঠ্যপুথি প্ৰকাশ কৰাৰ পূৰ্ণাংগ দায়িত্ব চৰকাৰে গ্ৰহণ কৰাৰ ফলত সৃষ্টি হোৱা আনুষাংগিক সমস্যা এটালৈ আঙুলিয়াই দিয়াটোও কৰ্তব্য বুলি ভাবো। আগতে প্ৰকাশকসকলে পাঠ্যপুথি প্ৰকাশ কৰি লাভৰ ধনেৰে বহুতো কিতাপ প্ৰকাশ কৰি লেখকসকলক উৎসাহ যোগাইছিল। কিন্তু পাঠ্যপুথিৰ দায়িত্ব তেওঁলোকৰ হাতৰ পৰা যোৱা পিচত প্ৰকাশকসকলে উপন্যাস, গল্পৰ কিতাপ আদি সীমাবদ্ধভাৱে প্ৰকাশ কৰাৰ বাহিৰে আন কিতাপ প্ৰকাশ কৰিবলৈ আগ নবঢ়া হ'ল। এই সমস্যা সমাধান কৰাৰ উপায় লাগে। এতিয়া এনে সমস্যাও হৈছে—য'ত প্ৰকাশকৰ অভাৱত একোখন তত্বগধু�ৰ কিতাপ লেখকে নিজে ছপাই উলিয়াই খৰচান্ত হৈ কাৰ্যতঃ কিতাপ লেখাৰ বাবেই মাচুল ভৰিবলগীয়া হৈছে!

অসম সাহিত্য সভাৰ প্ৰকাশন নীতিবো পৰিবৰ্তনৰ আৱশ্যক। অসম সাহিত্য সভা পত্ৰিকাক অন্য পত্ৰিকাৰ দৰে নধৰি এটা বিশেষ মৰ্যাদা দিব পৰা ধৰণেৰে অধিক পৰিকল্পিত কৰি তোলা উচিত। তাৰ বাবে সুযোগ দিবৰ কাৰণেই সাহিত্য সভা পত্ৰিকাৰ সম্পাদকজনৰ কাৰ্যকাল দীঘলীয়া কৰা উচিত।

আমি যদি সময়ৰ লগত খোজ মিলাব লাগে, তেন্তে বিজ্ঞান, প্ৰযুক্তি বিজ্ঞান আৰু অৰ্থনীতি সংক্ৰান্ত বিষয়ত সৰহ সংখ্যক লোকক জ্ঞান দিয়াৰ ব্যৱস্থা কৰিব লাগিব। সম্প্ৰতি বিজ্ঞানৰ বা প্ৰযুক্তি বিজ্ঞানৰ কিতাপ-পত্ৰ ৰচনাৰ বেলিকা এককভাৱে কোনো কোনোৱে চেষ্টা কৰিছে আৰু তাৰ বাবে সেইসকল শলাগৰ পাত্ৰ। কিন্তু এই শুৱভাৱ ল'বলৈ অধিক প্ৰণালীবদ্ধ, দীৰ্ঘম্যাদী আৰু ব্যাপক পৰিকল্পনাৰ প্ৰয়োজন। নিম্ন শ্ৰেণীৰ পৰা উচ্চ শ্ৰেণীলৈকে স্কু-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কামত অহাকৈ, সৰ্বসাধাৰণ লোকৰ ব্যৱহাৰিক জীৱনত কামত অহাকৈ আৰু বিজ্ঞান, প্ৰযুক্তি বিজ্ঞানৰ উচ্চতৰ পৰ্যায়ৰ সকলে কথা অসমীয়াতে পঢ়িবলৈ পাব পৰাকৈ এইবোৰ বিষয়ৰ কিতাপ-পত্ৰ যুগুতাবলৈ অসম সাহিত্য সভা, অসম চৰকাৰ, অসম বিজ্ঞান সমিতি, অসমৰ বিশ্ববিদ্যালয় কেইখন আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় কেইখনৰ সমূহীয়া উদ্যম এটাৰ প্ৰয়োজন।

সেইদৰে আমাৰ ডেকাচামৰ মন উদ্যোগমুখী কৰিবলৈ আৰু ব্যৱসায়-বাণিজ্যৰ পিনে তেওঁলোকৰ মন ঢাল খুৱাবলৈ যি মানসিকতা গঢ়ি তোলাটো প্ৰয়োজনীয় সেই প্ৰয়োজন পূৰাব পাৰে তেনে বিষয়ৰ কিতাপ-পত্ৰই। এই বিষয়তো এটা পৰিকল্পিত প্ৰচেষ্টাই গঢ় ল'ব লাগে।

অসম সাহিত্য সভাই কি ধৰণৰ প্ৰকাশ কৰিব—এই বিষয়ে এটা সুস্থিৰ সিদ্ধান্ত লোৱাটো প্ৰয়োজনীয়। আৰ্থিক সীমাবদ্ধতালৈ চাই অসম সাহিত্য সভাই সকলো কিতাপ নিজে প্ৰকাশ কৰাৰ পৰাও বিৰত থাকিব লাগব। সীমাবদ্ধভাৱে নিজে প্ৰকাশ কৰাৰ

দায়িত্ব লৈ বাকীবোৰৰ ভাৰ প্ৰকাশকক দিব পাৰি। আনহাতে অন্য প্ৰকাশকে প্ৰকাশ কৰিব পৰা বা কৰি থকা ধৰণৰ কিতাপ উলিওৱাৰ দায়িত্ব ল'ব নেলাগে। অসম সাহিত্য সভাৰ তৰফৰ পৰা আৰু প্ৰতি বছৰৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ উদ্যোগত প্ৰকাশ কৰা কিতাপৰ ক্ষেত্ৰত অধিক পৰিকল্পিত আৰু সমন্বয়পূৰ্ণ ব্যৱস্থা হাতত ল'লে কেতবোৰ মৌলিক কিতাপৰ চাহিদা পূৰণ কৰিব পৰা হ'ব।

এইখিনিতে বিকৃত ৰুচিবোধৰ বিস্তাৰ ঘটোৱাৰ দ্বাৰা ধন ঘটাৰ মানসেৰে প্ৰকাশ কৰা নগ্ন যৌনগন্ধী কিতাপৰ কথা উল্লেখ কৰা উচিত হ'ব। লেখক আৰু প্ৰকাশকৰ নাম নেৰাখি আইন উলংঘা কৰি প্ৰকাশ কৰা এই কিতাপবোৰৰ শুৰিত থকা মানুহক ধৰা পেলাব নোৱাৰাটো চৰকাৰী অক্ষমতাৰে নিদৰ্শন। কিন্তু কথা হ'ল—কিতাপৰ দোকানত এই কিতাপবোৰ সৰগৰ পৰা সৰি পৰা নাই। কোনোবাই যোগানহে ধৰিছে। সেই যোগনিয়াৰখিনিৰ সন্ধান কিতাপৰ দোকানীৰ পৰা যদি উলিয়াব নোৱাৰে—তেন্তে দোকানকে জগৰীয়া কৰাৰ ব্যৱস্থা লোৱা নহয় কিয়?

অসমীয়া গল্প, উপন্যাস আৰু কবিতাৰ উচ্চমানৰ নিদৰ্শন বাহিৰত প্ৰকাশ পোৱাৰ সংকুচিত সুবিধা বহলোৱাৰ কথাও চিন্তা কৰিব লাগে। গল্প আৰু উপন্যাসৰ ক্ষেত্ৰত নিম্নমানৰ প্ৰাদুৰ্ভাৱ থকা কথাটো স্বীকাৰ কৰিও এই কথা দৃঢ়তাৰে ক'ব লাগিব যে আন ভাৰতীয় ভাষাৰ সমপৰ্যায়ৰ গল্প, উপন্যাস আমাৰ ভাষাত ওলাইছে। জনজীৱনৰ বিভিন্ন দিশ সামৰি, বিষয়-বস্তুৰ বাছনিৰ ক্ষেত্ৰত নতুনত্ব প্ৰদৰ্শন কৰি নতুন নতুন পৰীক্ষাৰে উলিওৱা অসমীয়া গল্প আৰু উপন্যাসৰ সোৱাদ যাতে আন ৰাজ্যৰ লোকেও পাব পাৰে আৰু অসমীয়া সাহিত্যৰ প্ৰকৃত মূল্যাংক হ'ব পাৰে, তাৰ বাবে বিভিন্ন ভাৰতীয় ভাষালৈ বছা বছা অসমীয়া গল্প, উপন্যাস অনুবাদ কৰা ব্যৱস্থা এটা আমাক লাগে।

অসমীয়া কবিতাৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা এটাৰ প্ৰয়োজন। নৱন্যাস যুগৰ বিবৰ্তনৰ মূৰত আধুনিক অসমীয়া কবিতাত নানান পৰীক্ষা চলিল। টি এছ ইলিয়টক পথদ্ৰষ্টা ৰূপে গণ্য কৰি অসমীয়া কবিতাই বিভিন্ন দুৱাৰ মুকলি কৰিলে। অসমীয়া কবিৰ নতুন পৰীক্ষাৰ মূৰত অপূৰ্ব কবিতাৰ সৃষ্টি হ'ল। অৱশ্যে এটা সময়ত প্ৰতীক বাছনি আৰু জটিলতাই পটুৱৈ সমাজৰ সমুখত ভেটা দিছিল যদিও অসমীয়া বাটকটীয়া কবিসকলে সেই সোঁতৰ গতি সলাই পেলালে। অসমীয়া কবিতাৰ সোৱাদ আনে পাব পৰাকৈ অনুবাদৰ বহল ব্যৱস্থা কৰাৰ বাবেও অনুৰোধ জনাই থলো।

নিভাঁজ অসমীয়া ঃ অসমীয়া ভাষাৰ সম্পৰ্কত এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব। আজিকালি অসমীয়া খণ্ড বাক্য আদিৰ ব্যৱহাৰ কম গ'ল। নিভাঁজ অসমীয়া ঠাঁচটো নোহোৱা হৈ পৰিল। এইটো আমাৰে ক্ষতি। সহজ আৰু নিভাঁজ ঠাঁচটোৱেহে সৰ্বসাধাৰণৰ বেছি কাষ চাপি যাব পাৰিব। আজিকালি নিভাঁজ অসমীয়া শব্দ একোটা থকা সত্বেও কঠিন শব্দ একোটাহে ব্যৱহাৰ কৰা দেখা যায়।

ভাষাৰ বিকৃতি আৰু বৰ্ণাশুদ্ধি আমাৰ আন দুটা বিকাৰ। তাৰ বিৰুদ্ধে কি কৰিব পৰা যায়—সেই বিষয়ে সভাই আলচ কৰি ফলদায়ক উপায় উলিয়াব লাগে। ইতিমধ্যে এই ক্ষেত্ৰত চলোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ হৈছে। বিকৃত ৰুচিবোধৰ প্ৰসাৰৰ বিৰুদ্ধে প্ৰচেষ্টা হাতত লোৱাটোও আমাৰ কৰ্তব্য। পিচে দুখনমান কিতাপৰ বিৰুদ্ধে অভিযান চলায়েই আমি এই যুদ্ধ শেষ কৰিব নোৱাৰো। চিনেমা, দূৰদৰ্শনে বিজ্ঞাপনৰ লোভত বিকৃত ৰুচিবোধৰ ফেৰিৱলা হৈ সমাজৰ ক্ষতি সাধিছে; দূৰদৰ্শনযোগে প্ৰদৰ্শিত নাট আদিৰ বিষয়বস্তুও সময়ত একে ধৰণেৰে বিকাৰগ্ৰস্ত হোৱা দেখা গৈছে।

শাখা সভা ঃ অসম সাহিত্য সভাৰ শাখা সভাবোৰক অধিক সক্ৰিয় কৰাৰ ব্যৱস্থা হতত ল'ব লাগে। নিজ নিজ অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত থকা চাহিদা, স্কুলৰ প্ৰয়োজনীয়তা, সাংস্কৃতিক ক্ষেত্ৰত অভাব, সাংস্কৃতিক সম্পদ, জনজাতীয় আৰু সংখ্যালঘিষ্ঠ জনগোষ্ঠীৰ সংস্কৃতি আদিৰ বিষয়ে সমীক্ষা চলোৱাৰ ভাৰ দি বছৰি অন্ততঃ এটা বিষয়ৰ প্ৰতিবেদন কেন্দ্ৰীয় কাৰ্যালয়ক দিয়াৰ ব্যৱস্থা থাকিব লাগে। তদুপৰি সাংস্কৃতিক চৰ্চা কেন্দ্ৰ, গৱেষণাকেন্দ্ৰ আদি পতাৰ দায়িত্ব অৰ্পণ কৰাৰ উপৰিও প্ৰতি শাখাক স্থানীয় চাহিদা পূৰাব পৰাকৈ একোখন কিতাপ যুগুতাই উলিওৱাৰ দায়িত্বও দিব পাৰি।

কামত নহাকৈ নামতহে যাতে শাখা নেথাকে—তাৰ প্ৰতিও চকু ৰাখিব লাগে। নতুন শাখা গঠন কৰাৰ বেলিকাও বিশেষ সতৰ্কতা অৱলম্বন কৰাটো প্ৰয়োজনীয়।

পুঁজি ঃ দান-বৰঙণি সংগ্ৰহ কৰা বিষয়ত আমাৰ চুবুৰীয়া পশ্চিমবংগত আজি যি দুৰ্যোগৰ সৃষ্টি হৈছে, আমাৰ ৰাজ্যতো এতিয়া প্ৰায় অনুৰূপ অৱস্থাৰ সৃষ্টি হৈছে। জোৰ-জুলুম আৰু তিক্ততা বঢ়াৰ ফলত গোটেই পৰিবেশ বিষাক্ত হৈ পৰিছে। ইয়াৰ

প্রতিবিধানৰ প্ৰয়োজন হৈছে। অসম সাহিত্য সভাই বৰঙণিৰ ক্ষেত্ৰত এটা নতুন আদৰ্শ দাঙি ধৰি বাটকটীয়াৰ ভূমিকা লওক।

সীমাবদ্ধভাবে দান-বৰঙণি সংগ্ৰহ কৰাৰ প্ৰয়োজন নিশ্চয় হ'ব—কিন্তু সেয়ে বাৰোৱাৰী ধৰণৰ হ'ব নেলাগে। স্বতঃস্ফূৰ্তভাবে দান-বৰঙণি দিব পৰা মানসিকতা এটা গঢ়ি তোলাৰো প্ৰয়োজন হৈছে। অতখিনি উচ্ছাস আৰু প্ৰেৰণা লৈ গঠন কৰিব খোজা জাতীয় ন্যাসৰ লক্ষৰ পৰা আজিও নিকৰুণভাবে নিলগতে থাকিবলগীয়া হোৱা বাস্তৱৰ পৰিণতিয়েই আমাৰ মানসিকতাৰ দৈন্য উদঙাই দেখুৱাইছে। অসম সাহিত্য সভাৰ আগৰ কেইবাজনো সভাপতিৰ নেতৃত্বত সভাই অশেষ চেষ্টা চলায়ো ন্যাসৰ লক্ষ্য পূৰাব নোৱাৰিলে। অথচ ন্যাসৰ লক্ষ্য অনুসৰি যদি ১ কোটি টকা গোট খালেহেঁতেন, তেন্তে সেই সঞ্চিত টকাৰ সুদেৰেই অসম সাহিত্য সভাই আত্মনিৰ্ভৰশীল হৈ কাম কৰি বিভিন্ন দায়িত্ব ল'ব পাৰিলেহেঁতেন।

আজিও ঘৰে ঘৰে বিয়া-বাৰু হ'লে গৃহস্থই স্বতঃফূৰ্তভাবে গুৰুঘৰলৈ বুলি কাপোৰ এসাজ আৰু গুৰুঘৰীয়া মাননিৰ ধন আচুতীয়াকৈ থয়। ইয়াত কাৰো তাগাদা নাই—স্বতঃস্ফূৰ্তভাবে এই কাম চলি থাকে। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ স্বাৰ্থত তেনে এটা মানসিকতা গঢ়ি তোলাৰ উপায় উলিয়াব নোৱাৰিনে? জাৰ্মানীৰ হামবুৰ্গত 'একো জোপা গছ—অষ্ত্ৰিজেনৰ মৰুদ্যান' এই ধ্বনিৰে নৱ দম্পতিলৈ আহ্বান জনাইছিল—বিবাহ উপলক্ষে একোজোপা গছ ৰুবলৈ। আমিও বুকুত সাহ বান্ধি ৰাইজলৈ আহ্বান জনাব নোৱাৰোনে—বিয়া বাৰু পাতিলে, চাকৰি পালে, পদোন্নতি হ'লে, সন্তান জন্ম হ'লে—তাৰে অন্ততঃ এটা উপলক্ষত অসম সাহিত্য সভালৈ টকা এটা আগবঢ়াবৰ বাবে? পিয়লৰ হিচাপলৈ মনত পেলালে দেখোন এনেকৈ পোৱা একোটা টকাই জাতীয় ন্যাসৰ লক্ষ্যকো চেৰাই যাব! যদি এই আহ্বান ফলৱতী হয়, তেন্তে শাখা সাহিত্য সভাবোৰক এটা বিশেষ দায়িত্ব দিব পাৰি। তেনেভাৱে পোৱা ধন শাখাসমূহে গোটাই কেন্দ্ৰীয় কাৰ্যালয়লৈ পঠাব পাৰিব।

অসম সাহিত্য সভাই চৰকাৰী অনুদান পাব লাগে—মাত্ৰ তাত ৰাজনীতি সোমাব নেলাগে আৰু এই অনুদান চৰ্তাধীন হ'ব নেলাগিব। চৰকাৰী অনুদান লৈ সাহিত্য সভাই চৰকাৰৰ ওচৰত বইত পেলাই দিব লাগে বুলি ভাবি আগৰ ৰাজ্য চৰকাৰে ওভোতগোৱে নাচিব খুজিছিল যদিও অসমৰ ৰাইজেই তাৰ যোগ্য প্ৰত্যুত্তৰ দিলে। আগলৈকো আমি ৰাইজৰ ওপৰতো ভৰসা ৰাখিম—যাতে সাহিত্য সভাই হওক বা চৰকাৰেই হওক কাকো অবাটে যাবলৈ নিদিয়ে।

এইখিনিতে আৰু এটা কথা কৈ থোৱা ভাল হ'ব। আৰ্থিকভাবে স্বাবলম্বী হোৱাৰ বাবে সামান্য পদক্ষেপ হিচাপে অসম সাহিত্য সভা আৰু শাখাসমূহে সভাৰ গৃহ নিৰ্মাণ কৰোতে ভাড়া দিয়াৰ সুবিধা ৰাখি নিৰ্মাণ কৰিলে ভাল। ব্যৱসায়ী হোৱা বুলি কোনোবাই সমালোচনা কৰিব পাৰে; কিন্তু অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি সম্পূৰ্ণ বিতৰাগ হৈ থকা লোকৰ পৰা বৰঙণি সংগ্ৰহ কৰাতকৈ এই কাম নিশ্চয় বেছি সন্মানজনক হ'ব। তদুপৰি বিভিন্ন প্ৰকাশন, কেলেণ্ডাৰ আদি উলিয়ায়ো উপাৰ্জনৰ পথ উলিয়াব পাৰি।

আত্ম বিশ্লেষণ ঃ অসম সাহিত্য সভাৰ এতিয়া আত্ম বিশ্লেষণৰো সময়। ক'ত বিচ্যুতি ঘটিছে, কোনবোৰ বিষয়ত উচিত ব্যৱস্থা ল'ব পৰা নাই, সভাৰ পূৰ্বৰ কোনবোৰ সিদ্ধান্ত কাৰ্যকৰী নোহোৱা অৱস্থাতে চাই এৰা দিয়া হ'ল—এনেবোৰ কথাৰ বিচাৰ লৈ ভৱিষ্যতৰ বাবে প্ৰতিকাৰৰ ব্যৱস্থা হ'ব লাগে। অসম সাহিত্য সভাই জনমানসত বিশেষ স্থান অধিকাৰ কৰিছে যদিও একাংশ লোকৰ মনত বিৰোধ এতিয়াও আছে। আঁতৰি থকা তাৰে এভাগে ধাৰণা কৰে যে অসম সাহিত্য সভা 'regimened' ধ্যান ধাৰণাৰ ভৰত দোঁ খাই পৰিছে। সেইদেখি এটা ধাৰাৰ পোষকতা কৰা সকলৰ বাদে আনে ইয়াত সুযোগ নেপায় আৰু সেই কাৰণেই স্বীকৃতি পাবলগীয়া কিছুমানে স্বীকৃতি নেপালে বুলি এইটো মহলে ধাৰণা কৰে। এই ধাৰণা অমূলক বুলি কাৰ্যৰ দ্বাৰা অসম সাহিত্য সভাই প্ৰমাণ দাঙি ধৰি মনৰ সুকীয়া চুবুৰী গঠন কৰা এই চাম লোকৰ চুবুৰী ভঙাৰ ব্যৱস্থা লোৱা উচিত। শত পুষ্প বিকশিত হওক—এই ধ্বনি সাহিত্য সভাই তুলিব নোৱৰাৰ কাৰণ নাই। সাহিত্য সভাৰ মঞ্চত থিয় দি কোনোবাই কিবা এষাৰ ক'লেই সেইটো সাহিত্য সভাৰ মত হৈ নেযায়। মুকলি চিন্তাৰ পথ বহল হোৱাটোহে আমি বিচাৰো।

আন এচাম সাহিত্য সভাৰ পৰা আঁতৰি আছে—নিজৰ উচ্চাত্মিকা মনোভাৱৰ ভৰত। তেওঁলোকে সাহিত্য সভা মানসিকভাৱে তেওঁলোকতকৈ বহুত তলত থকা বুলি ভাবে। পিচে গজদন্তৰ মিনাৰত বহি ৰাইজৰ পৰা বিচ্ছিন্ন হৈ এইসকলে ৰাইজৰ সাহিত্যৰ প্ৰকৃত সেৱা কেনেকৈ কৰিব—সেইটোহে সাঁথৰ। বিদ্যাই বিনয় দান কৰে হেনো। সেই ভাৱসাতে আমি আশা কৰিম যাতে উচ্চাত্মিকা মনোভাৱক ক্ষয় নিয়াই সেই বিনয় ভাবেই সেই চামক সাহিত্য সভাৰ মাজলৈ অনাত সহায় কৰে।

তৃতীয়তে আৰু এটা চাম আছে—যিসকলে জাতি-ধৰ্ম আদিৰ আঁহ ফালি সাহিত্য সভা গঠাৰ বাবে চেষ্টা চলায়।

ৰাজনীতিজনিত এই বেমাৰ দূৰ কৰাৰ বাবে সবল জনমত গঠন কৰাটোৱেই একমাত্ৰ নিদান বুলি ধাৰণা হয়।

আমাৰ মনত থিতাপি লোৱা কুঠৰীবোৰ ভঙাৰ বাবেও আমি আত্ম সমালোচনাৰ আশ্ৰয় ল'বৰ হ'ল। বিভিন্ন বিচাৰ-বিবেচনাই গঠন কৰা মনৰ চুবুৰীবোৰে সাহিত্যত আত্মপ্ৰকাশ কৰি সৃষ্টি কৰা সমস্যাবোৰ সমাধান কৰাৰ বাবে তেতিয়াহে সুচল উলিয়াব পৰা হ'ল। আমি মুকলিভাবে এই ত্ৰুটী স্বীকাৰ নকৰো-কিন্তু তাক স্বীকাৰ কৰি লৈ সাহসেৰে এই বিকাৰ আঁতৰাবলৈ কঁকালত টঙালি বান্ধি ল'ব লাগিব।

আমি সাম্প্ৰতিক পৰিস্থিতিৰ সন্মুখত থিয় দিবলৈ কেতবোৰ সতৰ্ক পদক্ষেপ দিব লাগিব। আমাৰ মনৰ মাজত ৰক্ষণশীলতাৰ বীজ যে আজিও আছে, আজিও যে সুযোগ বুজি নিজৰ নিজৰ গণ্ডীৰ ভিতৰত শোষণৰ সুযোগ গ্ৰহণ কৰো—তাক আমি স্বীকাৰ নকৰিলেও তাৰ প্ৰতিফলন বিভিন্ন কাৰ্যক্ষেত্ৰত দেখিবলৈ পোৱা যাব। সেইবোৰ কথাৰ সমাহাৰতে মূৰকত একো একোটা সমস্যাৰ সৃষ্টি হৈছে। এতিয়া জোৰ পুৰি হাত পোৱাৰ সময়ত আমি সাহিত্যৰ মাধ্যমেৰে নতুন চেতনাৰ সৃষ্টি কৰি এনে বিকাৰৰ জইন মাৰিবলৈ আত্মনিয়োগ কৰিব লাগিব। সাহিত্যত প্ৰতিফলিত হোৱা উদাৰতা আৰু সমতাৰ ভাবে এটা নতুন পৰিবেশ ৰচনা কৰিব।

অনা-অসমীয়া লোকক অসমীয়া ভাষাৰ সৈতে পৰিচিত কৰাৰ ক্ষেত্ৰত আমাৰ আটাইতকৈ প্ৰয়োজনীয় কথা হ'ল—সেইসকল লোকক আকৰ্ষণ কৰিব পৰাকৈ কিতাপ-পত্ৰ আগবঢ়াই দিবলৈ চেষ্টা কৰাটো। অসম চুক্তিয়ে বান্ধি দিয়া সময়-সীমাৰ ভিতৰত পৰা যিসকল লোকক ভাৰতীয় নাগৰিক ৰূপে স্বীকৃতি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে—সেইসকলৰ ক্ষেত্ৰত আমাৰ বিশেষ দায়িত্ব আছে। সেইদেখি চৰ অঞ্চলকে ধৰি বিশেষ কিছুমান অঞ্চলত সভাৰ তৰফৰ পৰা সমীক্ষা চলাই তেওঁলোকৰ শৈক্ষিক আৰু সাংস্কৃতিক চাহিদা, তেওঁলোকৰ সাংস্কৃতিক সম্পদ আদিৰ সন্ধান ল'ব লাগে; তেওঁলোকৰ এনে বিষয়ৰ অভাৱ পূৰণ কৰাৰ ক্ষেত্ৰতো সহায়ৰ হাত আগবঢ়াব লাগে। মূল সুঁতিৰ মাজলৈ তেওঁলোকক অনাৰ বাবে ইছলামী সাহিত্যৰ বিস্তৃত আলোচাৰ পটভূমিত সকলো ভুল ধাৰণা দূৰ কৰাৰ বাবে চেষ্টা চলাব লাগে।

সেইদৰে চাহ শ্ৰমিকসকলৰ মাজতো বিশেষ কাৰ্যব্যৱস্থা লৈ তেওঁলোকৰ শৈক্ষিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ অভাৱ পূৰণ কৰাৰ বাবে যত্নপৰ হ'ব লাগিব। বৰাক উপত্যকাক খিলঞ্জীয়া লোকসকলকো এনে কাৰ্য-ব্যৱস্থাৰ মাজত সামৰি ল'ব লাগে।

বড়ো জনজাতিকে ধৰি বিভিন্ন জনজাতিৰ সাংস্কৃতিক সম্পদৰ সংৰক্ষণ আৰু সম্বৰ্ধনৰ বাবেও বিশেষ কাৰ্য ব্যৱস্থা আৰু হাতত ল'ব লাগিব। জনজাতীয়সকলৰ গীত, কাহিনী আদি অসমীয়ালৈ অনুবাদ কৰি এইবোৰ সম্পদক মূল সুঁতিলৈ প্ৰবাহিত কৰাৰ ব্যৱস্থা কৰিব লাগে। সেইদৰে অসমীয়া ভাষাৰ সম্পদ বাজিও জনজাতীয় ভাষালৈ-অনুবাদ কৰিব লাগে।

আমাৰ চুবুৰীয়া নগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম, মেঘালয় আৰু মণিপুৰৰ লগতো আমাৰ সাংস্কৃতিক সম্পৰ্ক বৃদ্ধি কৰিব লাগে। সম্প্ৰতি ৰাজনৈতিক তিক্ততাই এই অঞ্চলৰ কেতবোৰ ৰাজ্যৰ মাজত সম্পৰ্কৰ অৱনতি ঘটাইছে। সেই সম্পৰ্ক উন্নতি সাধিবৰ বাবে অধিক আদান প্ৰদানৰ প্ৰয়োজন; তদুপৰি সেইবোৰ অঞ্চললৈ গৈ সমীক্ষা, গৱেষণা আদিৰ যোগেদি তেওঁলোকৰ কেতবোৰ সমস্যাৰ বিচাৰ লৈ সমস্যাৰ সমাধানৰ বাবে তেওঁলোকক সহায় কৰা উচিত। এইক্ষেত্ৰত নগালেণ্ডৰ নাগাজিম ভাষাৰ ব্যাকৰণ অসমৰ পৰা যুগুতাই দিয়াৰ কথা উল্লেখ কৰিব পাৰি; তেনে উদাহৰণে আন ক্ষেত্ৰতো প্ৰেৰণা দিব বুলি ভাবিছো। কলা সংস্কৃতিৰ সংৰক্ষণ, গৱেষণা আদিৰ বিষয়ে এই চুবুৰীয়া ৰাজ্যকেইখনে উমৈহতীয়া কেন্দ্ৰ এটাও গুৱাহাটীত বা অন্য ৰাজ্যৰ কোনো ঠাইত পাতিব পাৰে।

মেলামুখী, আড়ম্বৰপূৰ্ণ ঃ অসম সাহিত্য সভা মেলামুখী হোৱা আৰু অত্যধিক আড়ম্বৰপূৰ্ণ হোৱা বুলি অভিযোগ উঠি আছে। সাহিত্য সভাৰ অধিবেশনত যিদৰে বিপুল জনসমাবেশ হয়, তেনে উদাহৰণ অসমৰ বাহিৰে আন কোনো অঞ্চলতে পোৱা নেযাব। এনে জনসমাবেশ হোৱাটো দোষনীয় কথা নহয়; যি আকৰ্ষণৰ বাবেই সমাবেশ নহওক—জনসমাবেশক জড়িত কৰাৰ যোগাত্মক প্ৰচেষ্টা হাতত লোৱাটোহে ঘাই কথা। সাহিত্যক জনসাধাৰণৰ কাষ চপাই নিয়াটোৱেই আমাৰ লক্ষ্য হোৱা উচিত যেতিয়া সভাৰ অধিবেশনত জনসমাবেশ ঘটা বাবে বিৰূপ মনোভাৱ লোৱাটোও উচিত নহয়।

এই সুযোগ গ্ৰহণ কৰি সাহিত্যৰ মাধ্যমেৰে জনসাধাৰণৰ ইচ্ছা-আকাংক্ষা পূৰণ কৰাৰ বাবে ব্যৱহাৰিক চাহিদা কেতবোৰ পূৰণ কৰাৰ ব্যৱস্থা হ'ব লাগে। জনসাধাৰণৰ দৈনন্দিন প্ৰয়োজনীয় বিষয়ৰ সহজ-সৰল কিতাপ কিছুমান প্ৰকাশ কৰি আমি বাইজৰ ইচ্ছা-আকাংক্ষা পূৰণ কৰিব পাৰো। খেতিবাতি, স্বাস্থ্যৰক্ষা, বোৱা-কটা, সৰুসুৰা উদ্যোগ, ৰাসায়নিক সাৰ বিভিন্ন হাতৰ

কাম আদি বিবিধ বিষয়ৰ কিতাপেৰে জনসাধাৰণক প্ৰকৃতাৰ্থত কাষ চপাই আনিব পৰা হ'ব।

তদুপৰি যি ঠাইত অসম সাহিত্য সভাৰ অধিবেশন পতা হয়, সেই ঠাইত সৰ্বসাধাৰণ ৰাইজৰ কেতবোৰ অভাৱ পূৰণ কৰাৰ বাবেও বিশেষ ব্যৱস্থা ল'ব পাৰি। পুথিভৰাল, সভা-ঘৰ, বিদ্যালয়, ছোৱালীৰ বাবে হাতৰ কামৰ শিক্ষা-কেন্দ্ৰ, ল'ৰাৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ-ইত্যাদি ধৰণৰ ব্যৱস্থা কৰিবৰ বাবে অধিবেশনত সংগৃহীত ধনৰ এটা অংশ আচুতীয়াকৈ ৰখাৰ নিয়ম প্ৰবৰ্তিত হ'ব লাগে।

সভাৰ অধিবেশন আড়ম্বৰপূৰ্ণ হোৱা অভিযোগটো অৱশ্যে নুই কৰাৰ উপায় নাই। এই ক্ষেত্ৰত খৰচ কমাব লাগে। খৰচৰ সৰ্বোচ্চ পৰিমাণ এটা নিৰ্দিষ্ট কৰি দিব লাগে। আড়ম্বৰপূৰ্ণ শোভাযাত্ৰাকে ধৰি কেতবোৰ ব্যয়বহুল ব্যৱস্থা পৰিহাৰ কৰা উচিত। অধিবেশনৰ বাবে সংগৃহীত ধনৰ হিচাপ নিৰ্দ্ধাৰিত সময়ত দিয়াৰ ব্যৱস্থা কৰিব লাগে—তেনেদৰে হিচাপ নিদিলে ভৱিষ্যতে তেনে ঠাইত অধিবেশন নপতাৰ সিদ্ধান্ত লোৱা উচিত। ৰাহি হোৱা ধনৰ এটা অংশ স্থানীয় উদ্যোক্তাসকলক দিয়াৰ লগতে সেই স্থানত শিক্ষা, কলা-সংস্কৃতিৰ লগত জড়িত কোনো অনুষ্ঠান পতাৰ দিহা কৰিব লাগে। মূল সভালৈ পঠাবলগীয়া ধনৰ ভাগ পঠোৱাটোও কঠোৰ ভাৱে কাৰ্যকৰী কৰিব লাগে।

অসম সাহিত্য সভা বছৰি পতাৰ ব্যৱস্থা কৰাৰ ফলত সভাপতি প্ৰমুখ্যে বিষয়ৱৰীয়াসকলে আঁচনি কৰি কামত আগবঢ়াবে থল নাথাকে। এই অসুবিধা দূৰ কৰাৰ বাবে কাৰ্যকাল বঢ়োৱাৰ কথা বিবেচনা কৰা উচিত।

অশুভ ধাৰা ঃ সাহিত্য বোৰতি সুঁতিৰ দৰে—পিতনিত সুস্থ সাহিত্যৰ সৃষ্টি নহয়। সেইদেখি আমি পিতনি গঢ়াৰ লক্ষ্য লৈ বহল দৃষ্টিকোণেৰে আগবাঢ়িব লাগিব—বাহিৰৰ লগত আদান-প্ৰদান থাকিব লাগিব। আনৰ ভালখিনি গ্ৰহণ কৰাৰ সহাস যেনেকৈ থাকিব লাগিব ঠিক সেই দৃঢ়তাৰে নিজৰ ভালখিনিৰ সংৰক্ষণ আৰু সম্বৰ্দ্ধনৰ বাবেও আত্মনিয়োগ কৰিব লাগিব। সম্প্ৰতি আমাৰ মাজত অশুভ ধাৰা এটা পৰিলক্ষিত হৈছে—অন্ধ অনুকৰণৰ পথ লৈ আমাৰ নিজস্ব সম্পদৰ কথা কিছুমানে পাহৰি গৈছে। ভাৰতৰ গৌৰৱোজ্জ্বল ঐতিহ্যকে বাতিল কৰিব খোজা এই ধাৰাৰ প্ৰতি সজাগ হৈ তাৰ প্ৰতিকাৰৰ কথাও আমি ভাবিবৰ হ'ল।

অৱশ্যে আমি নিজক পাহৰাৰ এই গতি অসমত তুলনামূলকভাবে তীব্ৰ হৈ উঠা নাই যদিও তাৰ খোজৰ শব্দ স্পষ্টভাবে কাণত পৰিছেহি। আমাৰ নীতিৰ ত্ৰুটীয়েও এই ক্ষেত্ৰত অৰিহণা যোগাইছে। ৰাজনীতিৰ তাগাদাত আমি সংস্কৃত ভাষাক এলাগী কৰি অতীতৰ দুৱাৰখনকে জপাই থোৱাৰ ব্যৱস্থা কৰিলো। আনহাতে ৰাজনীতিবিদৰ উদ্ভট কল্পনাই শৈক্ষিক বিষয়ত অনুপ্ৰবেশ কৰাৰ লতে আমি বুৰঞ্জীকো এলাগী কৰিলো। সংহতি গঢ়াৰ স্বাৰ্থত হেনো এই নীতি লোৱা হৈছে—যাৰ বাবে অসম বুৰঞ্জী আজি স্কুলত অস্পৃশ্য হৈ পৰিল। অসম আৰু ভাৰতক জনাৰ বাট মৰাৰ বাবে লোৱা এইবোৰ ব্যৱস্থাৰ ফলতে আজিৰ অসুস্থ পৰিবেশৰ সৃষ্টি হৈছে।

আনহাতে অসমত অসমীয়া ভাষাৰ কাৰণে গুৰুতৰ সংকটৰ সৃষ্টি কৰিব পৰাকৈ সমগ্ৰ ৰাজ্য জুৰি ইংৰাজী মাধ্যমৰ স্কুল বিযপি পৰিছে। এইবোৰ স্কুলৰ গুণাগুণকে ধৰি কোনো বিষয়ৰে বিচাৰ চৰকাৰ তৰফৰ পৰা লোৱা নাই। আঞ্চলিক ভাষাৰ কাৰণে এইবোৰ স্কুলৰ প্ৰায়ভাগৰে দুৱাৰ বন্ধ। অথচ অন্যান্য ৰাজ্যত আঞ্চলিক ভাষাক এঘৰীয়া কৰি ইংৰাজী মাধ্যমৰ স্কুল চলিব পৰা নাই। কৰ্ণাটক, মহাৰাষ্ট্ৰ আদিত চৰকাৰৰ নীতিয়েই ইংৰাজী মাধ্যমৰ স্কুলক নিৰুৎসাহ কৰিছে। অসম চৰকাৰেও ইংৰাজী মাধ্যমৰ স্কুলৰ বিষয়ে স্পষ্ট নীতি শীঘ্ৰে ঘোষণা কৰিব লাগে।

এনে প্ৰত্যাহ্বান গ্ৰহণ কৰিবৰ বাবে আৰু অসমীয়াৰ মাজতে ভুমুকি মৰা নীচাত্মিকা মনোভাৱ দূৰ কৰিবৰ বাবে প্ৰাথমিক শিক্ষাৰ মহলাৰ পৰা অসমীয়া ভাষাৰ শিক্ষাৰ উন্নতি সাধিব লাগিব। প্ৰাথমিক স্কুলৰ ঘৰ নিৰ্মাণ কৰাৰ বাবে সম্প্ৰতি ৰাজ্য চৰকাৰে লোৱা ব্যৱস্থা অতিশয় আদৰণীয়। এই সঠিক পদক্ষেপে প্ৰাথমিক শিক্ষাৰ নতুন দিগন্ত মুকলি কৰাৰ লগতে বৰ্ণাশুদ্ধিৰ আদিৰ বিকাৰ দূৰ কৰাতো ভৱিষ্যতে সহায় কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

অসমীয়া সাহিত্যই উচ্চতৰ স্থান দখল কৰিব পৰা ধৰণৰ উচ্চতৰ পৰ্যায়ৰ ৰচনা সম্প্ৰতি নোহোৱাটো দুখৰ কথা। এই অভাৱ পূৰোৱাৰ বাবে আমি অধিক প্ৰচেষ্টা চলাব লাগিব—তাৰ বাবে প্ৰেৰণা যোগোৱাৰ লগতে পৰিবেশো গঢ়ি তুলিব লাগিব। তাহানি জোনাকী যুগ, বাঁহীযুগ, আৱাহন যুগ, জয়ন্তীযুগ, ৰামধেনু যুগ ৰচিত হোৱাৰ দৰে আজি কোনো এটা অৱলম্বনৰ ভেটিত এটা নতুন যুগৰ ঢল বোৱাৰ নোৱাৰাটোও পৰিলক্ষিত হৈছে।

ৰাজ্যভাষা ঃ মাধ্যম ঃ আঞ্চলিক ভাষাক ৰাজ্যভাষা আৰু শিক্ষাৰ মাধ্যম ৰূপে প্ৰয়োগ কৰাৰ ক্ষেত্ৰত আনবোৰ ৰাজ্য আমাতকৈ বহুত আগবাঢ়ি গ'ল। তাৰে দুটামান উদাহৰণ স্বৰূপে ক'ব পাৰি যে পঞ্জাৱত চৰকাৰী কাম ৰাজ্যভাষাত পৰিচালনা কৰাত চাকৰিয়ালে গাফিলি কৰিলে শাস্তি দিয়াৰ ব্যৱস্থা আইনত ৰাখি ৰাজ্যভাষা প্ৰয়োগ কৰিছে। ১৯৬৮ চনতে পঞ্জাৱত এই নিৰ্দেশো জাৰি কৰা হৈছিল যে শিক্ষান্ত পৰীক্ষালৈকে পঞ্জাবী ভাষা নপঢ়া লোকে পঞ্জাবত চাকৰিৰ প্ৰাৰ্থী ৰূপে থিয় দিব নোৱাৰে। সেইদৰে উৰিষ্যাতো ৰাজ্যভাষা প্ৰবৰ্তনৰ ক্ষেত্ৰত বিভিন্ন ব্যৱস্থা কটকটীয়াভাৱে হাতত লৈছে। কৰ্ণাটক, মহাৰাষ্ট্ৰ আদি ৰাজ্যতো আঞ্চলিক ভাষাত শিক্ষা দান কৰা আৰু ৰাজ্যভাষা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বিবিধ ব্যৱস্থা ইতিমধ্যে লৈ সফলতা লাভ কৰিছে। ৰাজ্যভাষা প্ৰয়োগ কৰাৰ বেলিকা সংখ্যালঘু ভাষাভাষী অঞ্চললৈ চৰকাৰী নিৰ্দেশ অনুবাদ সহ পঠোৱাৰ ব্যৱস্থা ৰাখি সমগ্ৰ ৰাজ্যতে ৰাজ্যভাষা প্ৰয়োগ কৰা হৈছে। সেইদৰে শিক্ষাদান কৰা ক্ষেত্ৰতো এই দুয়োখন ৰাজ্যই আঞ্চলিক ভাষা প্ৰয়োগ কৰাৰ বেলিকা বিস্তৰ ব্যৱস্থা লৈছে। ইংৰাজী মাধ্যমৰ স্কুলো নিয়ন্ত্ৰিত হৈ পৰিছে—চৰকাৰৰ নীতিৰ ফলতে।

কিন্তু এইবোৰ ৰাজ্যত আমাৰ ইয়াৰ দৰে হৈ-চৈ লগা নাই। শিক্ষক, চকী মেজ আৰু কোঠা নোহোৱা বাবে শ্ৰেণী বহুৱাবলৈ সুবিধা নাই বুলি ৰাজ্য চৰকাৰক আপত্তি জনাওঁতেই ৰাজ্য চৰকাৰে অসমীয়া ভাষাৰ বিষয়টো অনা-অসমীয়া মাধ্যমৰ স্কলত পঢ়ুৱাটো স্থগিত ৰখাৰ নিচিনা উদ্ভট কথা অসমতহে সম্ভৱপৰ হ'ব পাৰে। আঞ্চলিক ভাষাক মাধ্যম ৰূপে প্ৰয়োগ কৰাৰ কথা ইয়াত নাছিল। মাত্ৰ অসমীয়া বিষয়টো বাধ্যতামূলক বিষয় হিচাপে পঢ়ুওৱাৰ দিহা দিয়া হৈছিল। এনে আঠু ভঙা চৰকাৰী নীতিৰ বাবেই আমাৰ স্থিতি এতিয়াৰ পৰ্যায়লৈ নামিছে।

কেইটামান পৰামৰ্শ ঃ কিন্তু আমি আৰু কিমান তললৈ নামিম? আপোচৰ পিচত আপোচ কৰি অহা মূৰত এতিয়া স্থিৰ সিদ্ধান্ত ল'বৰ হ'ল। ১৮৩৭ চনৰ পৰা এতিয়ালৈকে আমি মাত্ৰ অসমীয়া ভাষাৰ স্থিতিৰ কথা লৈ যুঁজাতে ব্যস্থ থাকিম নে?

সেইদেখি ইতিমধ্যে আলোচনা কৰা ধৰণৰ ব্যৱস্থাৰ পটভূমিত অসমত এটা বেহা লগাবই লাগিব। আমাৰ তৰফৰ পৰা সাম্প্ৰতিক সমস্যাবোৰ সকলো দিশ সামৰি সমাধানৰ হকে তলত দিয়া কথাকেইটা সকলোৱে বিচাৰৰ বাবে আগবঢ়ালো ঃ—

(১) অৰ্থনৈতিক সমস্যাই সৃষ্টি কৰা অসন্তুষ্টিয়ে যাতে বিভ্ৰান্তিৰ সৃষ্টি কৰিব নোৱাৰে, তাৰ বাবে বৰাক উপত্যকা, কাৰবি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা, চাহ শ্ৰমিকৰ বসতিপ্ৰধান অঞ্চল, বড়ো, মিচিং, ৰাভা আদি জনজাতীয় লোকৰ বসতিপ্ৰধান অঞ্চল, চৰ অঞ্চলকে ধৰি মুছলমান জনবসতিপ্ৰধান অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে শীঘ্ৰে বিশেষ কাৰ্যব্যৱস্থা হাতত ল'ব লাগে।

অৰ্থনৈতিক ক্ষেত্ৰলৈ আওকাণ কৰি থাকিলে বিপদহে বাঢ়ে। একালত দেশ বিভাজনৰ পিচত মিজোৰামৰ (তেতিয়া অৱশ্যে মিজোৰাম নামকৰণেৰে ৰাজ্য হোৱা নাছিল) সীমান্তৰ বাণিজ্য বন্ধ হৈ যোৱাৰ ফলত সৃষ্টি হোৱা গুৰুতৰ অৰ্থনৈতিক সংকটৰ প্ৰতি মনোনিবেশ কৰি প্ৰতিকাৰ ব্যৱস্থা হোৱা হ'লে সেই অঞ্চলত বিদ্ৰোহেই নহ'লহেঁতেন। সেইদৰে দেশ বিভাজনৰ ফলত সীমান্তৰ ব্যৱসায় হেৰুওৱা গাৱো পাহাৰ আৰু খাছী-জয়ন্তীয়া পাহাৰৰ গুৰুতৰ অৰ্থনৈতিক সমস্যাৰ সমাধানৰ বাবে তৎকালীন ব্যৱস্থা হোৱা হ'লে হয়তো সুকীয়া পাৰ্বত্য ৰাজ্যৰ কথাই নুঠিলহেঁতেন।

(২) ভূমি ব্যৱস্থাৰ ক্ষেত্ৰত জনজাতীয় লোকৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে পূৰ্ণাংগ ব্যৱস্থা ল'ব লাগে।

(৩) বড়ো, মিচিং, কাৰবি, ৰাভা আদি জনজাতীয় ভাষা, সংস্কৃতিৰ উন্নতিৰ বাবে আৰু সাংস্কৃতিক সম্পদৰ সংৰক্ষণৰ বাবে ব্যাপক কাৰ্যসূচী হাতত ল'ব লাগে।

(৪) প্ৰাথমিক পৰ্যায়ত মাতৃভাষাৰ জৰিয়তে শিক্ষা দান কৰিব লাগে। কিন্তু সেই ব্যৱস্থাই মাধ্যমিক পৰ্যায়তো মাতৃভাষাৰ জৰিয়তে শিক্ষা দিয়াৰ বাবে দায়ৱদ্ধ কৰা বুলি পৰিগণিত হ'ব নেলাগে।

(৫) বড়ো আদি জনজাতীয় ভাষাৰ কিতাপ প্ৰকাশ কৰাৰ বাবে চৰকাৰীভাৱে ব্যৱস্থা ল'ব লাগে।

(৬) বড়ো ভাষাক সহযোগী ভাষা ৰূপে জনজাতিৰ সংখ্যাগৰিষ্ঠতা থকা জিলাৰ আৰু মহকুমাত পূৰ্ণাংগভাৱে ব্যৱহাৰ কৰিব লাগে। বড়ো ভাষাৰ মাধ্যম সম্পৰ্কেও সম্প্ৰতি ৰখা অন্যান্য ব্যৱস্থা বাহাল থাকিব।

(৭) বিৰোধ দূৰ কৰাৰ বাবে প্ৰয়োজন হ'লে চাৰিভাষাৰ সূত্ৰ গ্ৰহণ।

(৮) মাটিকে ধৰি সকলো বিষয়তে কাৰবি আংলং জিলাত কাৰবিসকলক শোষণমুক্ত কৰি উন্নত পৰ্যায়লৈ নিয়াৰ বিশেষ ব্যৱস্থা

(৯) কাৰবি ৰাইজৰ স্বাৰ্থ পূৰণ কৰিব পৰাকৈ স্বায়ত্ত শাসিত জিলাৰ বিধিব্যৱস্থাৰ পৰিবৰ্তন।

(১০) স্বীকৃত ভাষা-নীতিৰ গাথনিৰ ভিতৰত মিচিং ভাষাৰ সম্বৰ্দ্ধনৰ বাবে মিচিং জনজাতিৰ বসতিপ্রধান জিলাত বিশেষ ব্যৱস্থা।

(১১) চাহ শ্রমিকৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা; চাহ শ্রমিকক অনুসূচীত জাতিৰ তালিকাভুক্ত কৰা বিষয়ত সতর্ক পদক্ষেপ।

(১২) ৰৰাক উপত্যকাত বাংলা ভাষাৰ স্থিতি সম্পর্কে চৰকাৰে পুনৰ ব্যাখ্যা কৰি আশ্বাস দান কৰিব লাগে।

(১৩) ৰৰাক উপত্যকাৰ খিলঞ্জীয়া যিসকল লোকে অসমীয়া পঢ়িব খোজে, তেওঁলোকক সেই সুবিধা দিব লাগে আৰু সেই উপত্যকাত কাম কৰা অসমীয়া বিষয়া-কর্মচাৰীৰ ল'ৰা-ছোৱালীক অসমীয়াতে পঢ়াৰ সুবিধা দিব লাগে।

(১৪) ৰাজ্যভাষা অসমীয়াক পূর্ণাংগভাৱে চৰকাৰী কাম-কাজত ব্যৱহাৰ কৰিব লাগে। এই কামত শিথিলতা দেখুওৱা চাকৰিয়ালৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা ল'ব লাগে। অনা-অসমীয়া চাকৰিয়ালক অসমীয়া শিকিবলৈ বিশেষ সুবিধা দিব লাগে। তেনে অর্হতা লাভ কৰা সেইসকল চাকৰিয়াল পদোন্নতি, অতিৰিক্ত বৃদ্ধি আদি পোৱাৰ যোগ্য হ'ব লাগে। ৰাজ্য চৰকাৰৰ অধীনস্থ চাকৰিত অসমীয়া জনাটো বাধ্যতামূলক হ'ব লাগে আৰু বাছনি পৰীক্ষাত বাধ্যতামূলকভাৱে অসমীয়া কাকত এখনৰ পৰীক্ষা ল'ব লাগে।

(১৫) শিক্ষাৰ মাধ্যমৰ ক্ষেত্রত থকা সাম্প্রতিক ব্যৱস্থা পূর্ণাংগভাৱে কার্যকৰী কৰিব লাগে।

(১৬) অনা-অসমীয়া মাধ্যমৰ স্কুলত অসমীয়া পঢ়াওৱাৰ ব্যৱস্থা যদি সংশ্লিষ্ট স্কুলে মানি নলয়, তেন্তে কেতিয়া, কোন শ্রেণীৰ পৰা আৰু কেনে ধৰণেৰে অসমীয়া পঢ়ুৱাব সেই বিষয়ে সিদ্ধান্ত ল'বলৈ সেইবোৰ স্কুলকে ভাৰ দিব লাগে।

চৰকাৰৰ নীতিও সেয়ে হ'ব লাগে।

বঁটা প্রদান ঃ এটা নতুন জাগৰণৰ সূচনা স্বৰূপে অসম সাহিত্য সভাৰ তৰফৰ পৰা বুজন পৰিমাণৰ ধনৰ বঁটা আগবঢ়োৱাৰ ব্যৱস্থা কৰা উচিত। অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগৰ সর্বশ্রেষ্ঠ বচনাৰ বাবে এবছৰ এটা বিষয় বাছি আনটো বছৰত আন এটা বিষয় বাছি লৈ এনে অনুক্রমে বঁটা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

সভাৰ তৰফৰ পৰা বঁটা দিয়াৰ সাম্প্রতিক যিবোৰ ব্যৱস্থা আছে, সেইবোৰৰ উপৰিও নতুন চামৰ লেখক-লেখিকাসকলক বঁটা দিয়াৰ বিশেষ ব্যৱস্থা এটাও হ'ব লাগে। তদুপৰি জনজাতীয় অসমীয়া লেখকৰ গ্রন্থৰ বাবে, আৰু অনা-অসমীয়া, অজনজাতীয় লেখকৰ বাবেও বঁটা দিয়াৰ দিহা কৰা উচিত।

অসমীয়া সাহিত্যত শিক্ষা, বিজ্ঞান, দর্শন, ৰাজনীতি বিজ্ঞান আৰু অর্থনীতিৰ মৌলিক গ্রন্থৰ অভাৱ দূৰ কৰাৰ বাবে এনেধৰণৰ কিতাপ যুগুতাবৰ কাৰণে বঁটা আগবঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে।

এইখিনিতে বিশিষ্ট সাহিত্যিক শ্রীচগনলাল জৈন আৰু তেখেতৰ পৰিয়ালে অসমীয়া সাহিত্যৰ শ্রেষ্ঠ বচনাৰ বাবে বুজন পৰিমাণৰ ধনৰ বঁটা আগবঢ়োৱা কথা উল্লেখ কৰি সেই পৰিয়াললৈ আমাৰ শ্রদ্ধা নিবেদন কৰিলো। এনে আদর্শই আনকো তেনে ব্যৱস্থা ল'বলৈ প্রেৰণা যোগাব বুলি আমি আশা ৰাখিছো।

সভাই কৰিবলগীয়া আন দুটামান কথা ঃ

(১) আমাৰ অভিধান কেইখনত সকলো শব্দ সামৰি লোৱা নাই। সেইবোৰ সামৰি লোৱাৰ উপৰিও ৰাজ্যৰ বিভিন্ন অঞ্চলত ব্যাপকভাৱে প্রচলিত শব্দসমূহো সামৰি আৰু বঢ়ো আদি বিভিন্ন জনজাতীয় ভাষাৰ শব্দও অন্তর্ভুক্ত কৰি এখন ডাঙৰ অভিধান বচনা কৰাৰ প্রয়োজন হৈছে। এই কামত চৰকাৰ আৰু সভাৰ মাজত হেতাওপৰা হ'ব লাগে। ৰাজ্য চৰকাৰে এই দায়িত্ব ল'লে অসম সাহিত্য সভাই তাৰ সলনি অসমৰ সাংস্কৃতিক বুৰঞ্জী এখন যুগুত কৰাৰ দায়িত্ব ল'ব লাগে।

(২) দৈনন্দিন প্রয়োজনীয় শব্দাবলীৰ অসমীয়া পৰিভাষাৰো প্রয়োজন। উদ্যোগ, ব্যবসায়-বাণিজ্য, কার্যালয়, ৰাজনৈতিক কাকত আদিৰ ক্ষেত্রত প্রয়োজন হোৱা সকলো শব্দৰ প্রতিশব্দ যাতে থাওকতে পাব পাৰি, সেই উদ্দেশ্যেৰে এনে এখন পুথি যুগুতাব লাগে।

অবশ্যে শব্দ বাছনিত ৰক্ষণশীল দৃষ্টিকোণ থাকিব নেলাগে। আমি পুলিচক আৰক্ষী পাতি, মাটি হাকিমক উপপ্রতি সমাহর্তা পাতি দেশোদ্ধাৰ কৰা নাই নিশ্চয়।

(৩) শিশু সাহিত্যৰ প্রতি অধিক সতর্কতা আৰু অধিক পৰিকল্পনাৰ প্রয়োজন। সম্প্রতি স্পাইডাৰ মেন, ফেণ্টম আদিয়ে আৰু কার্টুনসমূহে ল'ৰা-ছোৱালীৰ মন উতলা কৰিছে। তাৰে চাই অসমীয়া ভাষাতো নতুন উদ্যম লোৱাৰ প্রয়োজন। আমাৰ

বিষয়বস্তুবোৰ এই উদ্দেশ্যেৰে কামত লগাব লাগে। ইতিমধ্যে কিছু চেষ্টা চলিছে; কিন্তু ভাষাৰ বিজুতিয়ে সময়ত হতাশ কৰি দিয়ে।

শিশু সাহিত্যৰ অভাৰ পূৰাবৰ বাবে কেইবা বছৰীয়া পৰিকল্পনা এখন যুগুতাই সভাৰ তৰফৰ পৰা চেষ্টা চলাব পাৰি। প্ৰকাশৰ দায়িত্ব প্ৰকাশকসকললৈ এৰি সভাই বিভিন্ন বিষয়ৰ কিতাপ লিখাই আৰু অনুবাদ কৰাই লোৱাব পাৰে। ইতিমধ্যে যিহেতু ৰাজ্য চৰকাৰে এনে ধৰণৰ এখন আঁচনি হাতত লৈছে, সেইদেখি সভাই হেতাওপৰা নোহোৱাকৈ সমন্বয়পূৰ্ণ কাৰ্যসূচী এখনহে হাতত লোৱা উচিত হ'ব।

(৪) অসমীয়া ভাষাত বৃহৎ বুৰঞ্জী এখন যুগুত কৰাৰ দায়িত্ব ল'ব লাগে। এই সন্দৰ্ভত প্ৰাক্তন সভাপতি ° সীতানাথ ব্ৰহ্মচৌধুৰীয়ে চলোৱা প্ৰচেষ্টাই এই বিষয়ত জুমুখি গঢ়াত সহায় কৰিব বুলি ভাবো।

(৫) বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ বাছি লৈ অনুবাদ কৰাই সেইবোৰ প্ৰকাশ কৰাৰ দায়িত্ব সভাই আৰ্থিক অসুবিধালৈ চাই নিজে নলৈ আনক দিব লাগে। এই ক্ষেত্ৰতো সভাৰ পাঠশালা অধিবেশনৰ সভাপতি ডঃ মহেন্দ্ৰ নাথ বৰাই দাণ্ডি ধৰা আঁচনিয়ে আঁত ধৰাত সহায় কৰিব।

(৬) অসমীয়া শব্দৰ বিপৰীতে জনজাতীয় ভাষাৰ প্ৰতিশব্দ আৰু ইংৰাজী প্ৰতিশব্দ দি এখন বিস্তৃত অভিধান উলিয়াব লাগে। ৰাজ্য চৰকাৰে এই সন্দৰ্ভত এখন আঁচনি লোৱা বুলি জনা গৈছে। সেয়ে হ'লে এই আঁচনি উল্লিখিত ধৰণেৰে পূৰ্ণাংগ কৰি তুলিব লাগে। তেতিয়া সভাই দায়িত্ব লোৱাৰ প্ৰশ্ন নুঠে।

(৭) সংবাদ-সাহিত্য সম্পৰ্কে অধিক দৃষ্ট নিক্ষেপ কৰিব লাগে; সমালোচনা সাহিত্য সমৃদ্ধ কৰাৰ ব্যৱস্থা লাগে; ৰাজনৈতিক সাহিত্যবো প্ৰকৃত মূল্যায়ন হ'ব লাগে—এই ক্ষেত্ৰত সুকীয়া সুৰৰ বক্তব্য দাণ্ডি ধৰাসকলৰ ৰচনাও মূল্যাংকনৰ পৰা বাদ পৰিব নেলাগে।

(৮) মহিলা সাহিত্যসেৱীসকলৰ প্ৰতি অধিক দৃষ্টি নিক্ষেপ কৰা উচিত। ইতিমধ্যে বহুতো মহিলা লেখিকাই নিজৰ কাৰণে সাহিত্য-জগতত স্থান উলিয়াবলৈ লৈছে। দুই এগৰাকীয়ে সমাজৰ কেতবোৰ কথা খুচৰি যিমান সাহসেৰে নিজৰ ৰচনাত ঠাই দিছে, তেনে উদাহৰণ বিৰল।

ৰাজ্যত বহুতো মহিলা সংগঠন আছে; এইবোৰ আঁতৰি থাকিব নেলাগে। সকলোৰে সমবেত চেষ্টাত মহিলাৰ সাহিত্য সেৱাৰ মঞ্চখন আৰু বহলাব পৰা হ'ব।

(৯) অসমীয়া সাহিত্যলৈ অনা-অসমীয়া লেখকসকলে আগবঢ়োৱা ৰৰঙণিৰ বিষয়ে অধিক বিস্তৃত বিচাৰ হ'ব লাগে।

(১০) চিনেমাই লাভ কৰা বিস্তৃতি আৰু ইয়াৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য কৰিলে চিনেমা-সাহিত্য উপেক্ষিত হৈ থকা বুলি ধাৰণা হয়। তদুপৰি চিনেমা সংক্ৰান্তত সকলো বিষয় সামৰি অসমীয়া ভাষাত কিতাপ যুগুত কৰাটো প্ৰয়োজনীয়।

(১১) দূৰদৰ্শন আৰু আকাশবাণীৰ ভাষা আৰু উচ্চাৰণৰ বিষয়ৰ প্ৰতি অধিক মনোযোগ দিয়া উচিত।

(১২) চাহ বাগিচা, চৰ অঞ্চল, জনজাতীয় অঞ্চল আৰু অনা-অসমীয়া ভাষাভাষী অন্যান্য অঞ্চলত চৰ্চা কেন্দ্ৰ পতা, গৱেষণা চলোৱা আৰু সাংস্কৃতিক সম্পদ সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা হ'ব লাগে। এইবোৰ অঞ্চলত সাংস্কৃতিক বিনিময় আৰু গণ সংযোগৰ ব্যাপক কাৰ্যসূচী হাতত ল'ব লাগে।

(১৩) প্ৰাচীন কীৰ্তিচিহ্নৰ সংৰক্ষণ, পুৰণি পুথি-পাঁজিৰ সংৰক্ষণৰ বাবে বিশেষ ব্যৱস্থা লোৱাৰ উপৰিও এই সম্পৰ্কত জনমত গঠন কৰি চৰকাৰীভাৱে এনে ব্যৱস্থা লোৱাৰ বাবে বাধ্য কৰিব লাগে। পুৰণি মঠ-মন্দিৰ আদিৰ সংস্কাৰৰ ক্ষেত্ৰত সদ্যহতে যি যথেচ্ছাচাৰ চলাই ঐতিহ্য নাশ কৰাৰ চেষ্টা চলিছে—তাক ৰোধ কৰাৰ ব্যৱস্থা হ'ব লাগে।

(১৪) অসমৰ সংগীতৰ বেলিকা যি অৱক্ষয় হৈছে তাক ৰোধ কৰাৰ ব্যৱস্থা হ'ব লাগে। থলুৱা গীতমাত, নৃত্যৰ বিকৃতিয়ে আচল ৰূপ ধ্বংস কৰাৰ চিন সকলোতে পৰিলক্ষিত হৈছে। বিহু উৎসৱ আদিত অসমৰ সংস্কৃতিৰ বিকৃত উপস্থাপন কৰাটো নিয়মত পৰিণত হৈছে। সেই দেখি এই দিশত বিশেষ মনোযোগ দি প্ৰতিকাৰৰ উপায় চিন্তিব লাগে।

মহাপুৰুষ দুজনাৰ অপূৰ্ব সৃষ্টি অবিকৃত অৱস্থাত ৰখাৰ বিশেষ ব্যৱস্থা হ'ব লাগে। ৰৱেণ্য সাহিত্যিক ডঃ মহেশ্বৰ নেওগৰ উদ্যোগত ৰৰগীতৰ সুৰসম্পদ সংৰক্ষণৰ কিছু ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত আৰু পদক্ষেপৰ প্ৰয়োজন। প্ৰাচীন মন্দিৰ-নৃত্যবিলাক বিলুপ্ত হ'ল—সেইবোৰৰ উদ্ধাৰ আৰু সংৰক্ষণৰ প্ৰয়োজন।

অসমৰ থলুৱা গীতমাত, নৃত্য আদিৰ শুদ্ধ চৰ্চা আৰু সংৰক্ষণৰ বাবে অসম সাহিত্য সভা আৰু অসম চৰকাৰৰ তৰফৰ পৰা কেতবোৰ ব্যৱস্থা ল'ব পাৰে। গুৱাহাটীত এটা সাংস্কৃতিক কেন্দ্ৰ পাতি অসমৰ সকলো থলুৱা-গীত-মাত বাণীবদ্ধ কৰি

এটা সংগ্রহালয় পতা উচিত। তদুপৰি অসমৰ বিভিন্ন নৃত্যৰ সংৰক্ষণ ব্যৱস্থা ভি-ডি-অ' যোগে কৰিব লাগে। এই সংগ্রহালয়ত এনে ব্যৱস্থা ৰাখিলে সেয়ে পর্যটকৰ বাবেও আগ্রহৰ থল হ'ব। আনহাতে ইয়াত গৱেষণা চলোৱাৰো সুবিধা ওলাব। তদুপৰি শিক্ষার্থীসকলে শুদ্ধ ভাবে গীত-মাত শিকিব পাৰিব। আনহাতে নৃত্য আদিৰ বেলিকাও বাদ্যযন্ত্র, শুদ্ধ পৰিবেশন, সঠিক সাজপাৰ আদিৰ বিষয়েও ভি ডি অ' যোগে জানিব পাৰিব। পিচলৈ ৰাজ্যৰ বিভিন্ন ঠাইত উপকেন্দ্র পাতি এনে সুবিধাৰ সম্প্রসাৰণ ঘটাব পৰা হ'ব।

অসমৰ সংগীতজ্ঞসকলক আজিও উচিত স্বীকৃতি দিয়া হোৱা নাই। সেইপিনে মনোযোগ দিয়াৰ উপৰিও সংগীত বিদ্যালয়বোৰৰ প্রতিও লক্ষ্য ৰখা উচিত। জধেমধে যাতে সংগীত বিদ্যালয় পাতিব নোৱাৰে তাৰ বাবে বিদ্যালয়ৰ বাবে এটা মান নিৰূপিত হ'ব লাগে। স্বীকৃতিপ্রাপ্ত বিদ্যালয়ক অনুদান দিয়াৰ ব্যৱস্থাও থাকিব লাগে। চৰকাৰী সংগীত বিদ্যালয়ক উন্নত পর্যায়লৈ নিয়াৰ বাবে সচেষ্টা হোৱা উচিত।

অসমীয়া গীতি-সাহিত্যলৈ আওকাণ কৰাৰ ফলতে আজি নিম্ন স্তৰৰ গীতেও আসন দখল কৰা দেখা গৈছে। গীতি-সাহিত্যক স্বীকৃতি দি কৃতী গীতিকাৰসকলক সম্মানিত কৰা উচিত।

(১৫) বৰাক উপত্যকাৰ প্রামাণ্য গ্রন্থ স্বৰূপে এখন পূর্ণাংগ বুৰঞ্জী অসমীয়াত যুগুতাই উলিয়াব লাগে।

(১৬) অসম সাহিত্য সভাৰ যোগেদি আয়োজন কৰা ভাষা শিক্ষাৰ শ্রেণী নিষ্ঠাৰে পৰিচালনা কৰিব লাগে। এই ক্ষেত্রত পালমৰা কথাকাণ্ড চলাৰ যি অভিযোগ উঠিছে, তাৰ থল নোহোৱা কৰিব লাগে।

(১৭) নাটক আৰু নাট্যকাৰৰ ক্ষেত্রতো অধিক মনোযোগ দিয়াটো প্রয়োজন। ভাল নাটক পাবলৈ হ'লে পৰিবেশো গঢ়িব লাগিব। নাটক প্রকাশ কৰা আৰু নাট্যকাৰক উপযুক্ত স্বীকৃতি দিয়াৰ ব্যৱস্থা হ'ব লাগে। সম্প্রতি একাংকিকাৰ যি ঢল বৈছে, তাক সুপথেদি পৰিচালিত কৰাৰ বাবেও ভাল একাংকিকাসমূহ প্রকাশ কৰাৰ ব্যৱস্থা কৰিব লাগে।

এইখন পটভূমিতে থিয় দি আমি আগবাঢ়িব পাৰিম বুলি ভাবি মোৰ ক্ষুদ্র শক্তিৰে সুধী সমাজৰ বিবেচনাৰ বাবে দুআষাৰমান আগবঢ়ালো। আমি মুঠ বান্ধি থাকিলে মাউখে উটিব পাৰিম। সেই বিশ্বাস অটুট থকা কাৰণেই হতাশাৰ চাৰি ঢাপতো ভৰি আমি নিদিওঁ। আহক-কৰিম নহ'লে মৰিম—এই সংকল্প লৈ আমি আগবাঢ়ো।

শেষত সমূহ ৰাজইলৈ মূৰ দোঁৱাই আৰু অসমীয়া ভাষা-সাহিত্যৰ বাটকটীয়া স্বৰূপ স্বর্গীয় নমস্য ব্যক্তিসকলৰ স্মৃতি তর্পণ কৰি আৰু অসমৰ হকে জীৱন আহুতি দিয়াসকলৰ স্মৃতিত সশ্রদ্ধ প্রণিপাত জনাই ইমানতে মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

-- * --

পঞ্চপঞ্চাছত্তম অধিৱেশন

ডুমডুমা ঃ ১৯৮৯ চন

মহিম ৰৱা

ওঁ

'মূকং কৰোতি বাতালং পঙ্গুং সংঘয়তে গিৰিম্।
যৎ কৃপা তমহং ৱন্দে পৰমানন্দ মাধৱ্।।'

'হৃদি স্থিত হুয়া তুমি
যেন কৱাইবাহা স্বামী
হৃষীকেশ, কৰিবো তেহ্নয়'

অনন্ত কোটি ব্রহ্মাণ্ডৰ অধিকাৰী হৈয়ো যিজনে সকলো জীৱতে 'পুৰ' সাজি বাস কৰি 'পুৰুষ' নামে অভিহিত হৈছে, যিজনে আমাৰ ইন্দ্রিয় সমূহৰ ঈশ বা গৰাকী হৈ 'হৃষীকেশ' নাম লৈ জীৱক, জগতক অসীম কৃপা কৰি আহিছে, সেই মঙ্গলময় ভগৱন্ত, সেই মহান আল্লা, সেই পৰমেশ্বৰ 'গড', সেই 'ৱাহে গুৰু'ৰ উদ্দেশ্যে জয় জয়তে সেৱা জনালোঁ।

আজিৰ এই মহামিলনৰ তীর্থভূমি যাৰ ভৰিৰ ধূলাৰে চিৰপবিত্র হৈ পৰিছে, সেই নৰ-নাৰায়ণক শতকোটি সেৱা জনালোঁ।

ডুমডুমা সাহিত্য সভাৰ আদৰণি সমিতিৰ মাননীয় সভাপতি মহোদয় প্রমুখ্যে কর্মকর্তাসকল, মাননীয় উদ্বোধক শ্রীগেড্‌গিল ডাঙৰীয়া, মাননীয় প্রতিনিধিবর্গ, অসমৰ বিভিন্ন স্থানৰপৰা ইয়াত সমবেত হোৱা সাহিত্য-সংস্কৃতিৰ পূজাৰীসকল, সমবেত সুধীসজ্জন!

অসম সাহিত্য সভাৰ দৰে এক মহান মহাজাতীয় অনুষ্ঠানৰ এই পবিত্র আসনখনি স্বর্গীয় পদ্মনাথ গোহাঞিৰৱৰুৱা, চন্দ্রধৰ ৰৱৰুৱা, বেজৰৱৰুৱা, পণ্ডিত প্রৱৰ সন্দিকৈ ডাঙৰীয়া, মফিজুদ্দিন আহমদ হাজৰিকা ডাঙৰীয়া আদি ৱৰেণ্য পুৰুষসকলে অলংকৃত কৰি যোৱা তিনি কুৰি দহ বছৰৰ ওপৰকাল জাতীয় জীৱনৰ নতুন প্রাণৰ ন-চকুযুৰিত দীপিতি ঢালি দি মৰহি যাব খোজা জাতীয় জীৱনক সঞ্জীৱিত কৰি আহিছে, এই আত্ম-বিস্মৃত জনগোষ্ঠীসমূহক সাহ, বল, প্রেৰণা দি এখোজ এখোজকৈ আগবঢ়াই আনি আজিৰ এই অৱস্থাত থিয় কৰাইছেহি, সেই মহান পুৰুষসকল, যিসকল সৰু কালৰে পৰা মোৰ আছিল স্বপ্নৰ নায়ক, কল্পনাৰ ৰীৰপুৰুষ, সেই সকলে অলংকৃত কৰি যোৱা এই আসন প্রকৃততে মোৰ কাৰণে বিক্রমাদিত্যৰ সিংহাসন। এই আসনত বহিবৰ যোগ্যতা মোৰ নাই, তথাপি ঘটনাৰ কি আচৰিত গতি, সেই আসনতে বহিবলৈ আহিছোঁ গোটেই ঘটনাটোৱেই মোৰ কাৰণে এটি যেন দীঘলীয়া সমাজিক।

যোৱা দুটা শতিকাত আমাৰ জাতীয় জীৱনত আমি প্রাণ খুলি হাঁহিৰৰ অৱকাশ কেইবাৰ পাইছোঁ, এটা আঙুলিৰ পাৱতে লেখিব পাৰি।

মানৰ আক্রমণ-অত্যাচাৰত প্রায় নিশ্চিহ্ন হৈ পৰা অৱস্থাৰপৰা আমি কোনো মতে মূৰ জাঙি উঠিছিলোঁ, আগৰ ৰাতিৰ শিল-ধুমুহাত বিধ্বস্ত ভৰশ বাৰী এখন পিছদিনা পুৱাৰ এচেৰেঙা ৰ'দ পাই লাহে লাহে মূৰ দাঙি থিয় হোৱাৰ দৰে। পৰাধীন

হৈও ইয়াণ্ডাবু সন্ধিৰ পিছত পৰ্বতে-ভৈয়ামে থান-বান হৈ পৰা এই মানুহখিনি লাহে লাহে কাষ চাপি থান-থিত লাগি 'অসমীয়া', ইংৰাজে দিয়া এই নামেৰে পৰিচিত হৈ একগোট হৈছিলোঁ। বোধকৰো সেইদিনা আমি এবাৰ হাহিঁব পাৰিছিলোঁ - যদিও মোলান আছিল সেই হাহিঁ। সেইদিনাৰপৰাই এই ভূমিখণ্ডই নাম পালে 'অসম' আৰু পৰ্বত-ভৈয়াম, ৰজা-প্ৰজা সকলোৱে গ্ৰহণ কৰা, হেজাৰ বছৰ ধৰি ভাৰৰ আদান-প্ৰদানত ব্যবহৃত হোৱা, পিছত নানান কিতাপ, পদ্য সাহিত্যত চহকী হৈ পৰা এই 'ভাষা' বা 'মাত-কথাৰ' নতুন পৰিচয় হ'ল "অসমীয়া"।

এই বিৰাট ভূখণ্ডত বাস কৰা বহু বিচিত্ৰ জনগোষ্ঠীয়ে হেজাৰ হেজাৰ বছৰ ধৰিকোনো নহয় কোনো অংশত ৰাজত্ব কৰিছিল, আৰু প্ৰত্যেকেই এই দেশত এসময়ত বহিৰাগত আছিল। কিন্তু তেওঁলোক ইয়াত স্থায়ীভাৱে বসতি কৰিবলৈ আহিছিল, বৃহত্তৰ তিব্বতো-বাৰ্মান বা বড়ো ৰাজ্য, বৃহত্তৰ অষ্ট্ৰো-এচিয়াটিক বা অষ্ট্ৰিক ৰাজ্য, বৃহত্তৰ টাই ৰাজ্য, বৃহত্তৰ ভূঞা ৰাজ্য গঠন কৰিবলৈ, বা এই দেশৰ সাসম্পদ লুটি-পুটি নিজৰ ৰাজ্যলৈ নিবলৈ তেওঁলোকে চেষ্টা কৰা নাছিল। সকলোৱে নিজ নিজ ভাষা-সংস্কৃতি, জীৱন-যাত্ৰা পদ্ধতি, কৃষি পদ্ধতিৰে উমৈহতীয়াভাৱে এই দেশ সমৃদ্ধ কৰি বাহিৰৰ আক্ৰমণৰ বিৰুদ্ধে একগোট হৈ থিয় দিছিল।

বিদেশীয়ে এদিন ভাৰতৰ সিন্ধুনদৰ পাৰৰ মানুহখিনিক 'হিন্দু' আৰু দেশখনক 'হিন্দুস্তান' নাম দিয়াৰ দৰেই, বিদেশীয়ে আমাৰ দেশ, মানুহ আৰু ভাষাক "অসমীয়া" নাম দি গ'ল। এয়া ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীৰ দিনা হোৱা এক ঐতিহাসিক ঘটনা, এটা কলমৰ আঁচোৰৰ ঘটনা। প্ৰকৃততে আমাৰ মাজত প্ৰত্যেকৰে প্ৰজাতিগত, গোষ্ঠিগত নিজা পৰিচয় আছে, আৰু উমৈহতীয়াভাৱে আমি সকলো অসমীয়া। 'অসমীয়া' নামৰ কোনো এটা জনগোষ্ঠী বা প্ৰজাতি আমাৰ নাই। আমাৰ বুৰঞ্জীত, আমাৰ প্ৰচীন সাহিত্যত ক'তো 'অসমীয়া' নামৰ ভাষা এটা বা জাতি এটা বা 'অসম' নামৰ ঠাই এক খণ্ডৰ নাম নাপাওঁ। শ্ৰীমন্ত শংকৰদেৱে মাত্ৰ ভাগৱততে অসম মপলপক, কুৱাচ, তুৰুক আদি বিভিন্ন জনগোষ্ঠীৰ নামৰ উল্লেখ প্ৰসঙ্গত 'অসম' নামটোৰ ব্যৱহাৰ কৰিছিল। এই 'অসম' নামটোৱে 'টাই'সকলক বুজাইছিল। আকৌ, স্বৰ্গদেৱ চুকাফাই ত্ৰয়োদশ শতিকাত যেতিয়া এই দেশৰ পূবখণ্ড আক্ৰমণ কৰি ৰবাহী ৰজাক যুদ্ধত ঘটুৱাই ৰবাহী ৰাজকুঁৱৰীকবিবাহ কৰি মিত্ৰতা স্থাপন কৰিছিল, ৰবাহী চাংমাই গ্ৰহণ কৰি বিশ্বাস আৰু আত্মীয়তাৰ অভূতপূৰ্ব নিদৰ্শন দাঙি ধৰিছিল, তেতিয়া ৰজা-প্ৰজা স্থানীয় অধিবাসীসকলে তেওঁলোকক 'অসম' — এই সংস্কৃতমূলীয় বিশেষণ পদটো দিছিল, আৰু কালক্ৰমত এই শব্দই বিশেষ্য পদ হৈ নৱাগত টাইসকলক বুজাবলৈ ধৰিলে। মানুহৰ মুখত অহম বা আহোম হ'লেও, বুৰঞ্জীত, শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত অসম এই শুদ্ধ ৰূপটোৱে ব্যৱহাৰ হৈছে। পৰাজিতসকলৰপৰা অতি বিশ্বাসী লোককো ৰান্ধনি কৰি লোৱাৰ উদাহৰণ ক'তো পোৱা নাযায়। এনে ক্ষেত্ৰত স্বৰ্গদেৱ চুকাফাৰ এই কাৰ্যই এক বৃহৎ সাম্ৰাজ্য আৰু এক শক্তিশালী জাতিৰ ভেঁটি স্থাপন কৰি গ'ল।

বড়ো, কছাৰী, ডিমাছা, চুটীয়া, মটক, মৰাণ, তিৱা, বাৰভূঞা, শেষত টাই আদি বিভিন্ন জনগোষ্ঠীৰ ৰজাসকল এই ৰাজ্যত ৰজা হৈ গ'ল যদিও কোনেও নিজৰ ভাষাটোক নিজৰ প্ৰজাৰ ওপৰত জাপি দিবলৈ চেষ্টা কৰা নাছিল। ইচ্ছা কৰা হ'লে নিশ্চয় পাৰিলেহেঁতেন। শেষত টাই-আহোমসকলে কৰতোয়াত খাণ্ডা পখালি এই বৃহত্তৰ অসমত একছত্ৰী সম্ৰাট হৈয়ো, নিজৰ ভাষাটো জাপি দিব নুখুজিলে — এবাৰ মাত্ৰ ঢোল কোবাই শুনাই দিয়া হ'লেই যিটো কাম হৈ গ'লহেঁতেন। তেতিয়াৰ প্ৰতাপী শাসক সকলে চহকী, সৰহসংখ্যক লোকৰ মাজত প্ৰচলিত থলুৱা ভাষাটোকেই স্বীকৃতি দি গ'ল। কাৰণ দূৰদৰ্শী শাসক সকলে চহকী, সৰহসংখ্যক লোকৰ মাজত প্ৰচলিত থলুৱা ভাষাটোকেই স্বীকৃতি দি পণ্ডিত, কবিসকলক পৃষ্ঠপোষকতা দি সেই ভাষাটোকেহে সমৃদ্ধিশালী কৰি গ'ল। কাৰণ দূৰদৰ্শী শাসকসকলে বুজিছিল, পৰ্বত-ভৈয়াম, বিচিত্ৰ জনগোষ্ঠীৰে ভৰপুৰ এই দেশখনৰ একমাত্ৰ সংযোগসূত্ৰ হ'ব এই থলুৱা ভাষাটোহে। এই ভাষাটোৰ কথাকেই কুমাৰ ভাস্কৰ বৰ্মাৰ দিনত কামৰূপলৈ অহা ভ্ৰমণকাৰী হিউৱেনচাঙে মধ্য ভাৰতৰ ভাষাতকৈ অলপহে বেলেগ বুলি তেওঁৰ টোকাত উল্লেখ কৰি গৈছে। যদিও ভাষাতত্ত্ববিদ পণ্ডিতসকলৰ মতে ভাৰতীয় আধুনিক ভাষাসমূহে দশম শতিকা মানৰ পৰাহে নিজস্ব ৰূপ লৈছে—, হিউৱেনচাঙে কিন্তু তাহানিতে এই ভাষাৰ অস্তিত্ব স্বীকাৰ কৰি গৈছে। মোৰ নিজা ধাৰণা এই ক্ষেত্ৰত বেলেগ! মোৰ মতে বৈদিক যুগৰ আগতে অহা ইৰানীয়ানসকলৰে এটা দল, যাক নৃতত্ত্ববিদ পণ্ডিতসকলে আলপাইন নাম দিছে, তেওঁলোকেই কুলু উপত্যকাত বহু শ বছৰ বসতি কৰাৰ পিছত হিমালয়ৰ পাদদেশেদি আহি ভাৰতৰ উত্তৰ- পূৰ অঞ্চলৰ পাৰ্বত্য খণ্ডত, পিছত ভৈয়ামত বসতি কৰিবলৈ ধৰে, তেওঁলোকেই

এই ভাষাটো এই অঞ্চলত প্রবর্তন কবে। পূর্বমাগধী প্রাকৃতবপৰা অহা, বা ডিম্বেশ্বৰ নেওগদেৱৰ মতে কামৰূপী প্রাকৃকবপৰা সৃষ্টি হোৱা ভাষা, - যেনেকৈয়ে হওক, একে গোষ্ঠীৰ অসমীয়া, বঙলা, উৰিয়া, এই তিনি ভাষাৰ বর্ণমালাৰ পার্থক্য (বিশেষকৈ 'ৱ' ধ্বনিটো) আৰু 'শ, ষ; স' এই তিনিটা বর্ণৰ উচ্চাৰণৰ পার্থক্য নিশ্চয় নাথাকিলেহেঁতেন— বাকী অন্যান্য পার্থক্যৰ কথা এৰিও। 'শ, ষ, স'ৰ উচ্চাৰণ যে এসময়ত বৈদিক আর্যসকল অহাৰ আগতে আলপাইন জাতিৰ আর্যসকলৰ দিনত, বা তাৰ আগতেও আছিল এই কথা প্রচীন ইৰাণীয়ান সাহিত্যৰ জেন্দআৱেস্তাৰপৰাও বোধগম্য হয়। তেওঁলোকে বসতি কৰা অঞ্চলক "হপ্তহিন্ধু"ৰ, অর্থাৎ সাতখন নদীৰ দেশ বুলি নামকৰণ কৰিছিল। পিছৰ বৈদিক যুগত সাতখন নদীৰ দুখন শুকাই যোৱাত পঞ্চ+অপ্ হৈ পাঞ্জাব হ'ল।সেই "হপ্তহিন্ধু" ৰ নামৰ 'স' উচ্চাৰণ বিদেশীয়েও কৰিব নোৱাৰাত 'হ' উচ্চাৰণ কৰিছিল, সেয়ে 'সিন্ধু' পিছলৈ এখন নদৰ নাম হ'ল আৰু তাৰ পাৰৰ মানুহবিলাকক বিদেশীয়ে হিন্দু আখ্যা দিলে। ইংৰাজে 'হ' টো 'ই' কৰি নদৰ নাম 'ইণ্ডাচ' আৰু দেশখনৰ নাম দিলে 'ইণ্ডিয়া। আমাৰ উঠি অহা অনুসন্ধিৎসুসকলে যদি কুলু উপত্যকা আৰু হিমাচল প্রদেশৰ পুৰাতাত্ত্বিক গৱেষণা কৰে, তেনেহ'লে বহু তথ্য উদ্ধাৰ হোৱাৰ সম্ভাৱনা। আৰু এটা মন কৰিবলগীয়া, আমাৰ ভাষাত 'দেৱ' শব্দটো সংস্কৃতবপৰা আহিলেও, তাৰ আগতেই 'দেও' শব্দটো সম্পূর্ণ বিপৰীত অর্থত ভূত অপদেৱতা আদি বুজোৱা অর্থত ব্যৱহৃত হৈছে। দেওলগা গছ, দেওলগা ঘাটি আদিত এনে ব্যৱহাৰ সোমাই আছে। তাহানিতে আমাৰ এজন বৰেণ্য সাহিত্যিক অসম সাহিত্য সভাৰ সভাপতি স্বর্গীয় কনকলাল বৰুৱাদেৱেও এই কথা দেখুৱাই গৈছে।

সি যি কি হওক, মই এতিয়া নতুন একো গৱেষণা কৰিবলৈ অহা নাই। প্রসংগক্রমেই এই কথা আহিছে। অতি পুৰণি কালৰেপৰা যে এই ভাষাটো ব্যৱহাৰ কৰা এশ্রেণীৰ লোক ইয়াত আছিল, আৰু বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ প্রভাৱত এই ভাষাৰ শব্দাৱলী সমৃদ্ধ হোৱাৰ উপৰিও বাক্য-গাঁথনিত, ব্যাকৰণত জনগোষ্ঠীয় ভাষাৰ, বিশেষকৈ বড়ো ভাষাৰ প্রভাৱ পৰিছিল. এই কথা ড কাকতি প্রমুখ্যে ভাষাবিদ পণ্ডিতসকলে আলোচনা কৰি গৈছে।

ত্রয়োদশ শতিকাৰপৰা কুৰি শতিকালৈকে আমি নানা দুর্যোগৰ দিন পাৰ কৰি আহিছোঁ, জাতি হিচাপে আমি মৰি মৰিও জী উঠিছোঁ - 'মৰিও নমৰে পৰিও নপৰে বাণ-ভগদত্ত-চুকাফা জাত' (শৈলধৰ ৰাজখোৱা)।

এই উমৈহতীয়া ভাষাটোকে সাৱটি ধৰি আমি সাহ, বল, উৎসাহ পাই আহিছোঁ — সেয়ে নোহোৱা হ'লে আমি প্রত্যেক জনগোষ্ঠীয়েই একো একোটা সৰু দ্বীপ হৈ থাকিলোহেঁতেন, আৰু বুৰঞ্জীৰ বুকুত কালক্রমত হেৰাই গ'লোহেঁতেন।

এইখিনিতে যোৱা আন্দোলনৰ সময়ৰ এটা ঘটনাৰ কথা জনাব খুজিছো। যোৱা আন্দোলনত অসম সাহিত্য সভাৰ দ্বাৰা নিয়োজিত হৈ নগাঁও সাহিত্য সভাই নগাঁৱৰ বিভিন্ন অঞ্চলৰ ৰাইজৰ মাজত আন্দোলনৰ মূল কথাবিলাক বুজাই দিবলৈ অসংখ্য ৰাজহুৱা সভাত বক্তৃতা দিয়াৰ ব্যৱস্থা কৰিছিল। পিছপৰা সংখ্যালঘু সম্পদায় থকা, চাহ বাগিচা আদিত আমি বক্তৃতা দি উৎসাহজনক সঁহাৰি পাইছিলোঁ। নগাঁও জিলাৰ চাহ বাগানত চর্দাৰ-চকীদাৰসকলৰ এখন সভাত মই অসম, অসমীয়া, অসমৰ বিভিন্ন জনগোষ্ঠী আদিৰ বিষয়ে বুজাই বক্তৃতা দিয়াৰ পিছত সমজুৰাৰ মাজত এক আলোড়নৰ সৃষ্টি হ'ল, আৰু এজন চর্দাৰে মোক প্রায় সাৱটি মাৰি ধৰিয়ে ক'লে — "এইখিনি কথাকে যোৱা ডেৰশ বছৰ ধৰি আপোনালোকে পেটত লৈ ফুৰিছিল, আমাক ইমান দিনে খুলি কোৱা নাছিল কিয়?" এই উক্তিটো মই হুবহু উঠাই দিছোঁ এই কাৰণেই যে তাৰৰ পূর্ণতা আৰু আন্তৰিকতা নাথাকিলে এজন অনাখৰী বা সাধাৰণ ভাবে শিক্ষাপ্রাপ্ত লোকৰ মুখত এনে ভাষা ওলাব নোৱাৰে। ভাষাৰ কথা এৰিও, এই উক্তিটোৰ বিশেষ তাৎপর্য আছে, আৰু এই তাৎপর্য গভীৰ, ব্যাপক, সুদূৰপ্রসাৰী। এনে ভুল বুজা-বুজি আমি যথাসময়ত আঁতৰোৱাৰ ব্যৱস্থা কৰা হ'লে যোৱা আন্দোলনত কোনো কোনো ঠাইত ভুল বুজা-বুজিৰ ফলত সংঘটিত হোৱা দুর্ভাগ্যজনক ঘটনা নঘটিলহেঁতেন।

আন্দোলনৰ শেষত শাখা সাহিত্য সভা আৰু জিলা সাহিত্য পৰিষদ বোৰে এই কাম দুগুণ উৎসাহেৰে চলাই নিব লাগিছিল। মই জড়িত থকা 'নগাঁও জিলা সাহিত্য পৰিষদে' (এতিয় 'সভা') আওহতীয়া ঠাইত সভাৰ অনুষ্ঠান, আলোচনা চক্র আদি পাতি ৰাইজক সজাগ কৰিবলৈ যোৱা কে'বাবছৰবপৰাই চেষ্টা কৰি আহিছে। আন আন জিলা সাহিত্য সভায়ো নিশ্চয় তেনে কাম কৰি আহিছে। অসম সাহিত্য সভাৰ বছৰেকীয়া প্রতিবেদনত এইবিলাক কামৰ বিৱৰণ গুৰুত্বসহকাৰে দিব লাগে। এইখিনিতে

মনত পৰোঁতেই আৰু এটা কথাৰ প্ৰতি সাহিত্য সভাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। ব্যক্তিগত অভিজ্ঞতাৰপৰা বুজিছোঁ যে অসম সাহিত্য সভাৰ প্ৰধান শক্তিৰ আধাৰ কৰি গঢ়ি তুলিব লাগে এই জিলা সাহিত্য সভাসমূহকহে। এই সভাকেইখনক অধিক ক্ষমতা দি শাখা সভাসমূহক পোনপটীয়াকৈ জিলা সভাৰ ওচৰত দায়বদ্ধ কৰিব লাগে। তেতিয়া শাখাসমূহক সততে ক্ৰিয়াশীল কৰি ৰাখিব পৰা হ'ব, আৰু তেনে শাখাসমূহৰ যোগেদিয়েই বিভিন্ন অঞ্চলৰ ৰাইজৰ লগত আমাৰ আত্মীয়তা বাঢ়িব।

'অসমীয়া' কোন, এই প্ৰসঙ্গক্ৰমত এইখিনি কথা বাঢ়িল। চাহ বাগানৰ অসমীয়া, পিছত অহা পূব বঙ্গৰ মুছলমান অসমীয়া (যাক শ্ৰীযুত হোমেন বৰগোহাঞিদেৱে নামকৰণ কৰিছিল 'ন-অসমীয়া' বুলি ব্যৱহাৰিক স ুবিধাৰ কাৰণে, কিন্তু বৰ্তমান এনে প্ৰয়োজন উঠি গৈছে) অসমৰ শিখসকল, বৌদ্ধসকল, বিভিন্ন জনগোষ্ঠী, পৰ্বত-ভৈয়াম, নেপালীসকল, বঙালীসকল সকলো মিলিটেই 'অসমীয়া'। এই বিভিন্ন, বিচিত্ৰ জনগোষ্ঠীৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ খাদ্যাখাদ্য, বিয়া-বাৰু, জন্ম-মৃত্যুৰ সংস্কাৰ-পদ্ধতি, প্ৰতেকৰে সুকীয়া সুকীয়া। কোনো কোনো ক্ষেত্ৰত মিল থাকিলেও অমিলৰ সংখ্যাই বেছি। ধৰ্মৰ ক্ষেত্ৰত বিভিন্ন ধৰ্মৰ বহল বিভাগ আছেই। প্ৰত্যেক জনগোষ্ঠীৰে নিজ নিজ ঘৰুৱা ভাষাও আছে। বৰ্তমানে কিছুমান প্ৰধান ভাষাৰে লিখিত ৰূপ দি পুনৰুদ্ধাৰ কৰা হৈছে, আৰু কোনো ক্ষেত্ৰত পুনৰুদ্ধাৰৰ চেষ্টা চলিছে। এই বিভিন্ন অনৈক্যসমূহেই আমাৰ বৈচিত্ৰ্যৰ সৃষ্টি কৰিছে। এই বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সৃষ্টি কৰাই হৈছে আমাৰ চিৰকালৰ জাতীয় সাধনা। অৰ্থাৎ ঐক্য সৃষ্টি কৰা মানে বৈচিত্ৰ্য ধ্বংস কৰা নহয়, বৈচিত্ৰ্য সংৰক্ষণ কৰাহে। বৈচিত্ৰ্যৰ ওপৰত গুৰুত্ব বাঢ়িলেহে ঐক্যৰ এনাজৰীডাল সুদৃঢ় হ'ব। অসমত এই ঐক্যৰ এনাজৰীডালেই হ'ল থলুৱা, উমৈহতীয়া এই ভাষাটো,— যাক আমি সিদিনাৰপৰাহে 'অসমীয়া' এই নতুন নামকৰণ কৰিছোঁ। তেতিয়াৰ দূৰদৰ্শী, দেশপ্ৰাণ বৰেণ্য নেতাসকলে সেই কাৰণেই "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা"খনক "অসমীয়া সাহিত্য সভা" নামকৰণ নকৰি "অসম সাহিত্য সভা" নামকৰণ কৰি গ'ল; — এই সভাই হ'ল অসমবাসী সকলোৰে একমাত্ৰ "মিলন তীৰ্থ"।

এইখিনিতে কোনোৱে প্ৰশ্ন কৰিব পাৰে, ১৯১৭ চনৰপৰা আজিলৈকে ইমান দীঘলীয়া সময়খিনিত অসম সাহিত্য সভাই বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ কাৰণে কি কি কাম কৰিছে? উত্তৰত আমি অসম সাহিত্য সভাই প্ৰকাশ কৰা কিতাপৰ তালিকাখনলৈ আঙুলিয়াই দিম। সেয়ে যথেষ্ট হোৱা নাই বুলি কোনোবাই ক'লে ক'ব লাগিব যে জনজাতীয় ভাষাই সিদিনাহে নিজৰ বৰ্ণমালাৰ বা লিপিৰ স্থিৰ সিদ্ধান্তলৈ আহিছে। তেনে কে'বাটাও ভাষাৰ ব্যাকৰণ, অভিধান আদিও নাই। আটাইতকৈ ডাঙৰ কথা হ'ল, আমি উমৈহতীয়াভাৱে গোটেই মানুহখিনিয়েই বিলুপ্তিৰ পথত। মানুহ কিছুমান জীয়াই থাকিলোহেঁতেন থানে-বানে; কিন্তু অসমীয়া মানুহ হৈ জীয়াই থাকিব নোৱাৰিলোহেঁতেন। অস্তিত্বৰ এনে সংকটে যোৱা তিনিকুৰি বছৰে কেতিয়াবা মৃদু, কেতিয়াবা ডাঙৰ ভূইকপৰ দৰে আমাক জোকাৰি আহিছে। একমাত্ৰ সংযোগসূত্ৰ অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ কাৰণে বিভিন্ন জনগোষ্ঠীৰ শিক্ষিত, সচেতনসকলে প্ৰাণটাকি যুঁজ কৰি আহিবলগা হৈছে।

তাৰ উপৰি, ১৮২৬ চনৰ আগৰ কথা এৰিও, পিছৰ ১৯১৭ চনলৈকে এই সময়খিনিত আমাৰ কিমান ধুমুহা মুৰৰ ওপৰেদি গ'ল, সেই কথাও আমি পাহৰিব নালাগিব। ১৮৩৬ চনলৈকে অসমীয়া ভাষা স্কুল-আদালতত চলাইছিল ইংৰাজে। ১৮৩৭ চনৰ আগৰ দহ বছৰত অসমত চলিছিল ভয়ানক "মানৰ দিন"। সেই দহ বছৰত-স্বৰ্গীয় গোহাঞি বৰুৱাদেৱৰ ভাষাৰেই কওঁ : "মানৰ দিনৰ উপদ্ৰৱত অসম দেশ ছাৰখাৰ হোৱাৰ লগে লগে অসমীয়া সমাজ ভাগি ঠান-বান হ'ল। অসমীয়া সাহিত্য ভঁৰালত জুই লাগিল। ..... অসমীয়া সাহিত্যৰ মধ্য বা শঙ্কৰী যুগৰ অকাল অৱসান ঘটিল। ..... খ্ৰীঃ ১৮১৬ চনৰপৰা ১৮২৬ চনলৈকে এই দহ বছৰত অসমীয়া সাহিত্যৰ একেবাৰে মৰামুৰা অৱস্থা।" এইয়া অসম সাহিতা সভাৰ প্ৰথম অধিবেশনৰ সভাপতি ডাঙৰীয়াৰ ভাষণৰ উদ্ধৃতি।

ইয়াৰ পিছত ১৮৩৬ খ্ৰীঃত অসমীয়াৰ ঠাইত বঙলা ভাষা স্কুল-আদালতত চলিল ১৮৭৩ খ্ৰীষ্টাব্দলৈকে।

আকৌ গোহাঞিবৰুৱা ডাঙৰীয়াৰ কথাকে শুনক :- ..... "অসমীয়া সাহিত্যৰ বৰ্তমান যুগ খ্ৰীঃ ১৮১৬ চনৰপৰা ১৯০৩ চনলৈকে ৮৭ বছৰ, তাক মহা আপদৰ কাল বুলি ধৰিবলগীয়া। তাৰ ভিতৰত ১৮৩৬ চনৰপৰা ১৮৭১ চনলৈকে এই ৩৫ বছৰ কালত অসমীয়া সাহিত্যৰ একেবাৰে মৰামুৰা অৱস্থা আৰু তাৰপৰা ১৯০৩ চনলৈকে এই ৩২ বছৰ কাল সি ভালকৈ কঁকাল

পোনাব নোৱাৰা ভাৱেই কটাব লগাত পৰে। ধৰিবলৈ গ'লে যোৱা চৈধ্য বছৰ মাথোন অসমীয়া ভাষা আৰু সাহিত্যই অশেষ অপায়-অমঙ্গলৰ হাত সাৰি উশাহ ল'বপৰা সময় পাৰ হৈছে।" ...

চাওক, ১৯১৭ চনতেই আমাৰ ভাষা সাহিত্যৰ এই অৱস্থা ইয়াৰ পিছতো এই সংকট নাতঁৰিল। বিগত হেজাৰ হেজাৰ বছৰ ধৰি তাহানিৰ প্ৰাগজ্যোতিষপুৰ, কামৰূপত ৰাজত্ব কৰি অহা বিভিন্ন জনগোষ্ঠীৰ শাসকসকলে যিটো ভাষাক সাৰ-পানী দি আপদাল কৰি চহকী কৰি আহিছে, পৃষ্ঠ-পোষকতা দি যিটো ভাষাৰ শ্ৰীবৃদ্ধি সাধন কৰি আহিছে, টাইসকলে যিটো ভাষাক ৰাষ্ট্ৰভাষাৰ মৰ্যাদা দি পূৰ্ণতা দান কৰিলে, সেই ভাষা যদি আজি আমাৰ মাজৰ পৰা হেৰাই যায়, বা ভৱিষ্যতে কেতিয়াবা হেৰাই যায়, তেনেহ'লে আমি সকলো জনগোষ্ঠীয়েই ছিগি পৰা মণিৰ দৰে থান-বান হৈ বুৰঞ্জীৰ কেঞাবনৰ মাজত হেৰাই যাম।

আমাৰ জনজাতীয় ভাষাসমূহৰ পুনৰুদ্ধাৰৰ চেষ্টা ইংৰাজ শাসনৰ কালতে বেপ্তিষ্ট মিশ্যনেৰীসকলেও কৰি গৈছিল। সম্পতি যোৱা কেইবছৰমানৰ ভিতৰতে বড়ো, কাৰ্বি ভাষাক সেই সেই ভাষাৰ পণ্ডিত-সাহিত্যিক সকলে লিপিবদ্ধ কৰি এটা গতি আনি দিব পাৰিছে। বিশেষকৈ বড়ো ভাষা হাইস্কুললৈকে শিক্ষাৰ মাধ্যম হোৱাৰ উপৰিও বিভিন্ন গল্প-কবিতা আদি সৃষ্টিমূলক সাহিত্যৰে সমৃদ্ধি লাভ কৰাৰ পথত আগবাঢ়িছে। বড়ো আৰু কাৰ্বি ভাষাত বোলছবি ওলোৱাৰ উপৰিও অনাতাঁৰৰ যোগেদি বড়ো, কাৰ্বি আদি জনজাতীয় ভাষাসমূহৰ প্ৰচাৰ হৈছে। প্ৰখ্যাত ঔপন্যাসিক অধ্যাপক শ্ৰীৰংবং তেৰাঙে একক প্ৰচেষ্টাৰে কাৰ্বি ভাষাৰ প্ৰথম অভিধান প্ৰকাশ কৰিছে।

অসমীয়া ভাষাই যোৱা হেজাৰ হেজাৰ বছৰ ধৰি নানান শব্দ সম্ভাৰেৰে সমৃদ্ধ হৈও, এতিয়াও বহু শব্দ অন্য ভাষাৰ পৰা বিশেষকৈ সংস্কৃত ভাষাৰ পৰা নতুনকৈ ধাৰ কৰিবলগা হৈছে। এতিয়াও কোনো কোনো ক্ষেত্ৰত ইংৰাজী শব্দ ব্যৱহাৰ কৰি অৰ্থ বুজাই দিব লগা অৱস্থাত থাকিব লগা হৈছে। পৃথিবীৰ সকলো ভাষাৰ ক্ষেত্ৰতে এইটো কথা সঁচা যে প্ৰকাশিকা শক্তিৰ ক্ষেত্ৰত কোনোটো ভাষাই স্বয়ং সম্পূৰ্ণ হৈছে বুলি দাবী কৰিব নোৱাৰে। একোটা ভাষা স্বয়ং সম্পূৰ্ণ হোৱাৰ ক্ষেত্ৰত কোনো চমু পথ নাই।

অসমীয়া ভাষা-সাহিত্য জনজাতীয় অজনজাতীয়, ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে সকলো সাহিত্যপ্ৰেমীৰে অৰিহণাৰ দ্বাৰা সমৃদ্ধ। এতিয়া যিসকলে অকল জনজাতীয় ভাষাতহে সাহিত্য ৰচনা কৰি সুনাম অৰ্জন কৰিছে, সেইসকলৰ ৰচনাৱলীৰ অসমীয়া ভাঙনি লগে লগে প্ৰকাশ কৰিবলৈ আমাৰ প্ৰকাশকসকল আগবাঢ়ি আহিব লাগে। পুঁজিৰ ব্যৱস্থা হ'লে সাহিত্য সভায়ো এই কাম হাতত লোৱা প্ৰয়োজন। এনেয়ে আমাৰ পাঠক সমাজ অতি সীমাবদ্ধ। তাৰ ভিতৰতে যদি একোটা অংশ ফালৰি কাটি থাকে, তেনেহ'লে আমাৰ ভাষা সাহিত্যৰ সমূহীয়া ক্ষতি হ'ব। সুকীয়া ৰাজ্যৰ অধিকাৰী খাচী, গাৰো, নগা, অৰুনাচল আদিৰ ক্ষেত্ৰতো এই কথা খাটে।

অৱশ্যে আমাৰ প্ৰধান দায়িত্ব পৰিব অসমৰ বিভিন্ন জনজাতীয় ভাষাসমূহৰ ওপৰতহে। এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ কৰ্তব্য হ'ল জিলা তথা শাখা সভাৰ যোগেদি নিজ নিজ এলেকাৰ জনজাতীয় ভাষাৰ উন্নতিত সহযোগ আগবঢ়োৱা। স্থানীয় জনজাতীয় ভাষাটোক অজনজাতীয় ল'ৰা-ছোৱালীয়েও যাতে পঢ়িব পাৰে, তাৰ ব্যৱস্থাও তেনে অঞ্চলৰ স্কুলবিলাকত ৰখাৰ ব্যৱস্থা চৰকাৰৰ সহযোগত কৰিব লাগিব। জনজাতীয় ৰাইজৰ মাজত প্ৰচলিত কাহিনী, কিংবদন্তি, বিশ্বাস, লোক গীত-মাত, নৃত্য আদি সংগ্ৰহ আৰু শিক্ষাৰ ব্যৱস্থাও আমাৰ শাখাবোৰৰ যোগেদি কৰিব লাগিব।

সদ্যহতে আন এটা সমস্যাই আমাৰ ভৱিষ্যত আকৌ সংশয়াচ্ছন্ন কৰি তুলিছে। সেয়া হৈছে, সুকীয়া জনজাতীয় ৰাজ্যৰ দাবী। সম্প্ৰতি বড়ো সকলে পূৰ্ণাঙ্গ বড়ো ৰাজ্যৰ দাবীও তুলিছে। সুদূৰ অতীতৰপৰা এই দেশত কোনো কালেই কোনো ৰাজত্বতে জনজাতীয়-অজনজাতীয় এনে ভাগত প্ৰজাসকলক ভাগ কৰা হোৱা নাছিল। বিভিন্ন অঞ্চলত ৰাজত্ব কৰা ৰজাসকলে নিৰপেক্ষভাৱে দেশ শাসন কৰিছিল। আনকি গুণী-জ্ঞানী ব্ৰাহ্মণ-কায়স্থ লোকক আন ৰাজ্যৰপৰা নিমন্ত্ৰণ কৰি আনি নিজৰ ৰাজ্যত বহুৱাইছিল, আৰু ৰাজসভাত যথাযোগ্য মৰ্য্যদা দি ৰাজ্য শাসনত ভাগ দিছিল। দেৱভাষা সংস্কৃতত ৰচিত শাস্ত্ৰসমূহ স্ত্ৰী-শূদ্ৰসমাজেও সহজে বুজিবপৰাকৈ থলুৱা ভাষালৈ উপযুক্ত পণ্ডিতৰ হাতুৰাই ভাঙনি কৰাইছিল, কোঁচ ৰজা নৰনাৰায়ণ আৰু ভ্ৰাতৃ শুক্লধ্বজ দুয়ো বাৰানসীত সংস্কৃত পঢ়ি এই ভাষাত গভীৰ ব্যুৎপত্তি লাভ কৰিছিল। পিতৃ বিশ্বসিংহৰ এই দূৰদৃষ্টি আছিল

আজিৰপৰা প্ৰায় ছশবছৰৰ আগতেই। সেই কাৰণেই মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাই আমাৰ সাহিত্যত এক সোণোৱালী যুগৰ সৃষ্টি কৰি গ'ল — যি যুগ বিশ্বৰ বুৰঞ্জীত অমৰ হৈ থাকিব — কালৰ গতিত কেতিয়াবা এই ভাষা-ভাষী মানুহখিনি বিলুপ্ত হৈ গ'লেও। অকল সেয়ে নহয়, এসময়ত নৰনাৰায়ণৰ ৰাজটোলৰ খৰিভাষী, পানীভাষী পৰ্যন্ত সকলোৱে সংস্কৃত ভাষা জনাটো বাধ্যতামূলক কৰি দিছিল। একে প্ৰজাতিৰ বংশধৰসকলেই বিভিন্ন অঞ্চলত ৰাজত্ব কৰিলেও সকলোৱে এক হৈ পৰা-নাছিল। এতিয়া কালক্ৰমত সেই পৰাক্ৰমী ৰাজবংশসমূহৰ বংশধৰসমূহৰ বংশধৰসকলে নিজকে কিয় 'জনজাতি' বুলি পৰিচয় দিবলৈ হেতা-ওপৰা কৰিবলৈ ধৰিলে, সেই প্ৰশ্ন মোৰ আলোচ্য বিষয় নহয়। আমি অসমৰ গোটেই মানুহখিনিয়েই ভাৰতৰ আন ৰাজ্যৰ মানুহতকৈ পিছপৰা; বিশেষকৈ আধুনিক জ্ঞান-বিদ্যা, প্ৰযুক্তি বিদ্যা, বেহা-বেপাৰ আদিত। আমি সকলোৱেই শোষিত, বঞ্চিত, স্বাধীনতাৰ পিছৰপৰা শক্তিশালী কেন্দ্ৰীয় চৰকাৰেই প্ৰত্যক্ষ বা পৰোক্ষভাবে আমাক আনৰ দ্বাৰা শোষিত হ'বলৈ দিছে, আৰু আমাক ন্যায্য প্ৰাপ্যৰপৰা বঞ্চিত কৰি আহিছে। আমাৰ ভাৰতৰ যিকোনো ৰাজ্যৰ মানুহ ভাৰতৰ যিকোনো স্থানলৈ গৈ সেই অঞ্চলত নিজৰ ভাষা-সংস্কৃতি-জীৱনধাৰা চলাই থাকিবপৰা ব্যৱস্থা আছে; কিন্তু সেই অঞ্চলৰ ভাষা-সংস্কৃতি-জীৱনধাৰা মানি লোৱাৰ কাৰণে কোনো সাংবিধানিক হেঁচা নাই। গতিকে দুৰ্বলৰ ওপৰত সবলৰ, কম জনসংখ্যাৰ লোকৰ ওপৰত জনসংখ্যাত বলীসকলৰ অবাধ শোষণ চলাৰ সুবিধা আমাৰ পবিত্ৰ সংবিধানেই দি থৈছে। অথচ আমাৰ দূৰদৰ্শী সংবিধান ৰচকসকলে এই মূল কথাটোলৈ আওকণীয়া ভাও ধৰি আছিল আৰু এতিয়াৰ নেতাসকলেও তেনে ভাও লৈ আছে যে ভাৰতবৰ্ষৰ প্ৰতি ইঞ্চি মাটিয়েই ভাৰতবৰ্ষ, প্ৰতিটো অঞ্চল, প্ৰতিখন ৰাজ্যৰ ভাষা-সংস্কৃতি-জীৱনধাৰাই ভাৰতীয়। ভাৰতীয় বুলি এটা ভাষা, এটা সংস্কৃতি, এটা জীৱনধাৰা নাই। কাশ্মীৰ, বিহাৰ, বঙ্গদেশ বা ভাৰতৰ যিকোনো এখন ৰাজ্যৰ মাটিয়েই ভাৰতবৰ্ষ নহয়। আজি আমাৰ চকুৰ আগতে এসময়ৰ স্বাধীন, চহকী ত্ৰিপুৰা ৰাজ্যৰ কি অৱস্থা হ'ল? চিকিমৰ কি অৱস্থা হ'ল? আমি ভাৱ-আবেগৰ দ্বাৰাই পৰিচালিত নহৈ কঠোৰ বাস্তৱবাদী চিন্তা আৰু ব্যৱস্থা নল'লে, ভাৰতীয় কিছুমান নেতাৰ আগ্ৰাসী পৰিকল্পনাৰ অজগৰৰ পেটত জাহ যাম। সাৱধান, সাৱধান, কালৰ সাৱধান বাণীলৈ কাণ দিয়ক সকলোৱে, বুৰঞ্জীৰপৰা শিক্ষা লওক। আমাৰ যুগ-জোৰা ঐক্যত ভাঙোন ধৰিলেই আমি নিশ্চিহ্ন হৈ যাম।

সম্প্ৰতি সুকীয়া বড়ো ৰাজ্য এখনৰ দাবী সৰৱ হৈ উঠিছে। "ডিভাইড আছাম ফি ফটি ফিফ্‌টি" ধ্বনিও অমঙ্গলীয়া হৈ কাণত বাজিছে। তেনে নিজা ৰাজ্যৰ দাবী বুৰঞ্জীৰ ভেঁটিত সকলোৱে ৰখিব পাৰিব। কোঁচ-ৰাজবংশী, চুটিয়া, মৰাণ, তিৱা, ডিমাছা, কাৰ্বিসকলৰ উপৰিও কায়স্থ, ভূঞাসকলৰো নিজ ৰাজ্য আছিল। অসমৰ কলিতাসকলৰো অৱস্থা পানীত হাঁহ নচৰা। মাটি-ভেটি হীন, শৌৰ্য-বীৰ্যহীন, বুদ্ধি-বৃত্তিত পিছপৰা, বহুতেই লোকৰ আধি-বন্ধুৱা কৰি, দিন-হাজিৰা কৰি জীৱিকা উলিয়াইছে। কলিতাসকলে তাৰ বাবে আনৰ গাত দোষ জাপিবলৈ চেষ্টা কৰা নাই, নিজৰ অযোগ্যতা, অক্ষমতাকেই দোষ দি আহিছে।

সুকীয়া ৰাজ্যৰ এই আত্মঘাতী দাবীয়ে আমাক শতখণ্ড কৰিব। এতিয়াও আমাৰ সমূহীয়া সংকটৰ দিন পাৰ হোৱা নাই, এতিয়াও আমি সংখ্যালঘু হৈ সাংবিধানিক সুৰক্ষা লৈ জীয়াই থাকিবলগীয়া হ'ব পাৰে। সকলো চিন্তাশীল, দেশপ্ৰেমী, সুধী-সজ্জনে আগন্তুক লোকপিয়লৰ কথা মনত ৰাখি সতৰ্ক হওক। নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ যেন আমি নকৰোঁ।

আমাৰ অৰুনাচল, আমাৰ নাগালেণ্ড, আমাৰ দীতিকাষৰীয়া পৰ্বতীয়া এই অঞ্চলবিলাকৰ লগত অতীজৰেপৰা, আৰু বিশেষকৈ স্বৰ্গদেউসকলৰ ৰাজত্বকালত সুদৃঢ়, সুস্পষ্ট নীতিযুক্ত সম্প্ৰীতিৰ সম্পৰ্ক - কোনো কোনো ক্ষেত্ৰত ৰজাসকলৰ লগত বৈবাহিক সম্পৰ্কও গঢ়ি উঠিল। তেওঁলোক কোনো কালতে চিন-তিব্বেত শ্যাম-ব্ৰহ্মদেশমুখী হোৱা নাছিল, ভৌগোলিক সম্পৰ্কৰ যোগেদি ভাৰতমুখীহে হৈ পৰিল। এতিয়াও উত্তৰ পূৰ অঞ্চল অসমৰ মাজেদিহে ভাৰতীয় হৈ আছে। বুৰঞ্জীৰ ধাৰা নুবুজা কিছুমান অত্যুৎসাহী শাসকে তেওঁলোকক অসম-বিদ্বেষী কৰি পোনে পোনে ভাৰতীয় কৰিবলৈ যোৱাৰ ফল ভবিষ্যতে বিপৰীত হ'বগৈ পাৰে। এয়া মোৰ ভাৱাবেগযুক্ত উক্তি নহয়, বুৰঞ্জীৰ সকীয়নি। আমাৰ লগত সীমা বিবাদ লগাই তেওঁলোকক দিল্লীৰ ওচৰ চপাব পাৰিব, কিন্তু প্ৰকৃত দিল্লী সদায় দূৰতেই থাকি যাব।

অলপতে সদৌ অসম শিখ সহাৰ সভাপতি-সম্পাদক ডাঙৰীয়াসকলে, চিঠিৰে অভিনন্দন জনোৱাৰ উপৰিও ব্যক্তিগতভাৱে সুযোগ পাই মোৰ ঘৰত পদাৰ্পণ কৰি শুভেচ্ছা জনালে। মই শুভেচ্ছা বাণীৰ উত্তৰত লিখিছিলোঁ যে অসমৰ শিখসকল নিজৰ

যোগ্যতাৰে অসমীয়া, দেশৰ সমূহীয়া স্বাৰ্থৰক্ষাৰ কাৰণে হাদিৰাচকীৰপৰা আজিলৈকে নিজৰ প্ৰাণ উছৰ্গা কৰি আহিছে তেখেতসকলে। অলপতে নগাঁৱৰ নীলবাগানৰ পিছপৰা মুছলমান ৰাইজৰ সভাত ৰাইজৰ আদৰণিৰ উত্তৰত সেই কথাকে কৈছিলোঁ, মই যেনেকৈ ইয়াত বুৰঞ্জীয়ে ঢুকি নোপোৱা কোনো এটা দিনত আহি অসমীয়া হৈছিলোঁ, সেইদৰেই তেখেতসকলো নিজ যোগ্যতাৰে অসমীয়া; কোনেও তেখেতসকলক অসমীয়া কৰিব নোৱাৰে, আৰু অসমীয়া কৰিব নালাগেও। অসমৰ জাতীয় উৎসৱ-আনন্দৰপৰা জাতীয় দুৰ্যোগলৈকে সমানে যিসকলে মুকলি অন্তৰেৰে ভাগ ল'ব পাৰিছে, সেইসকলেই অসম-মাতৃৰ সন্তান, সেইসকলেই অসমীয়া। আমাৰ স্বৰ্গদেউসকলৰ দিনত মোগল আক্ৰমণ, মানৰ অত্যাচাৰ, প্ৰাকৃতিক দুৰ্যোগ আদিয়ে আৰু ধৰ্ম-বৰ্ণ-গোষ্ঠী নিৰপেক্ষ শাসন নীতিয়ে আমাৰ বিভিন্ন ধৰ্ম-বৰ্ণ-গোষ্ঠীৰ লোকসকলক অন্তৰেৰে এক কৰিছিল — মহাপুৰুষে সাহিত্য-সংস্কৃতিৰে সেইসকলক অভিন্ন কৰি তুলিছিল, আৰু তুলিছে। গতিকে বিপদ-দুৰ্যোগৰ এটা ইতিবাচক ফাল সদায় আছে- ব্যক্তিগত জীৱনতো, পাৰিবাৰিক জীৱনতো আৰু জাতীয় জীৱনতো। সি যি হওক, শিখসকলৰ অভিযোগ হ'ল যে অনাঅসমীয়া শিখসকলে তেওঁলোকক "অসমীয়া শিখ সন্থা" নামটো উঠাই অকল "শিখ সন্থা" নাম দিবলৈ কোৱাতো তেখেতসকলে সেই কথা মনা নাই; অথচ নগাঁও, দৰং আদিৰ বাহিৰে আন ঠাইত তেখেতসকলক পাঞ্জাবী বুলি ভাবে। এইটোৱেই তেখেতসকলৰ প্ৰধান অভিযোগ — যদিও জনসংখ্যা অনুপাতে তেখেতসকলৰ ছহিদৰ সংখ্যা, দেশৰ কাৰণে প্ৰাণ বলিদান দিয়া লোকৰ সংখ্যা, আনতকৈ অধিক। এইটো অজ্ঞতাৰ ফল, কাৰণ অসমৰ বহুতেই অসমীয়া শিখক দেখা নাই। এই অজ্ঞতা চাকৰি-বাকৰি শিক্ষা আদিলৈ সম্প্ৰসাৰিত নহ'লেই হ'ল।

অজনজাতীয় সকলতকৈ, বিশেষকৈ বাহিৰৰপৰা অহা ব্ৰাহ্মণ-কায়স্থ আদি লোকসকলতকৈ থলুৱা বাকীসকল মানুহ শিক্ষা-দীক্ষাত পিছপৰা। অতীততো এই অৱস্থাই আছিল — সেই কাৰণেই তেতিয়াৰ ৰজাসকলে বাহিৰৰপৰা ব্ৰাহ্মা-কায়স্থ পণ্ডিতসকলক নিজ ৰাজ্যলৈ আনিব লগীয়া হৈছিল। ৰাজপৰিয়াল, ৰাজবিষয়া আদিৰ ল'ৰা-ছোৱালীয়ে এনে পণ্ডিতৰ তলত শিক্ষা লাভ কৰিব পাৰিছিল। সৰ্বসাধাৰণ ৰাইজে সেই সুবিধা নাপাইছিল।

কোনো কোনো সত্ৰৰ গুৰুসকলে বিভিন্ন জনগোষ্ঠীৰ মাজত মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতি-সাহিত্য প্ৰচাৰৰ ব্যৱস্থাত বহুখিনি আগবাঢ়িছিল যদিও মানৰ আক্ৰমণৰ পিছৰপৰা এই গতি প্ৰায় বন্ধ হৈ হ'ল।

ইংৰাজ শাসনৰ দিন ধৰি আমি সকলো শ্ৰেণীৰ লোকেই পিছপৰি ৰলোঁ। এতিয়া প্ৰয়োজন কৰ্মতৎপৰতাৰ আৰু আত্মবিশ্লেষণৰ; পৰস্পৰক দোষাৰোপ কৰাৰ সময় নহয়। স্বাধীনতা হেৰুৱাৰ দিনধৰি আমাৰ এই চেতনা আহিল যে যে একমাত্ৰ উমৈহতীয়া এই ভাষাটোৰ বান্ধেৰে আমি এক হৈ থাকিব পাৰিম। লগতে আমাৰ মানসত এই আতঙ্কও সোমাই পৰিল যে কেতিয়াবা যদি সংযোগ-জৰীডাল ছিগি যায়, আমি নিশ্চিহ্ন হৈ পৰিম। আমাৰ মগ্ন চৈতন্যত চিৰ জাগ্ৰত এই শঙ্কাই প্ৰতিকুল পৰিবেশত উগ্ৰ ৰূপ ধাৰণ কৰি আহিছে। সেই কাৰণেই তাহানি হেমচন্দ্ৰ গোস্বামীদেৱে গৈছিল, " অসমীয়া মানুহৰ খং তুলিবৰ হ'লে তেওঁলোকৰ ভাষাটোক গালিপাৰিলেই হ'ল।"

গতিকে আমি যিহেতু গোষ্ঠীগত ভাৱে, প্ৰজাতিগত ভাৱে, ধৰ্ম-বৰ্ণ-জাতগতভাৱে, মুঠতে কোনো ফালৰ পৰাই অসমীয়া নহয়, সেই কাৰণেই আমি প্ৰত্যেকেই অসমীয়া। ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীলৈকে যিটো উমৈহতীয়া ভাষাক 'ভাষা', 'কথা' আদি নামেৰে চিনাক্ত কৰা হৈছিল, সেই তাৰিখৰ পৰাহে সেই ভাষাৰ নাম "অসমীয়া"। যুগ যুগ ধৰি এয়ে আমাৰ একতাৰ ভাষা। বন্ধুসকল, আহক তেনেহ'লে, আমি প্ৰাণ খুলি জয়ধ্বনি দিওঁ বেজবৰুৱাৰ কবিতাৰ ভাষাৰেই "জয় আই অসম"।

যেতিয়া জাতি এটাই সকলোফালে বিকাশ লাভ কৰে তেতিয়া স্বাভাবিকভাৱেই সেই জাতিৰ ভাষা-সাহিত্য-সংস্কৃতিৰ নৱজাগৰণ আৰম্ভ হয়, নৱ নৱ সৃষ্টিৰ উন্মেষ হয়। যি লোক সমষ্টি সকলো সময়তে অন্যায়-অবিচাৰৰ বলি হ'ব লগা হয়, প্ৰতি মুহূৰ্ততে অস্তিত্ব ৰক্ষাৰ চিন্তাত চঁকি থাকিবলগা হয়, সেই জাতিৰ বিকাশৰ সকলো পথেই বন্ধ হৈ যায়।

ভাৰত বিভাজনৰ ফল প্ৰতিজন ভাৰতীয়ই ভাগ কৰি ল'ব লাগিব— সীমামুৰীয়া দেশবিলাকতে ভগনীয়া জাপি দিলে নহ'ব। বঙ্গদেশে মাৰিছ জাপিৰপৰা দণ্ডকাৰণ্যলৈ কেনে কৌশলেৰে অতিৰিক্ত ভগনীয়া পঠিয়ালে, সৰ্বজনবিদিত। অসমৰ অতিৰিক্ত ভগনীয়াৰ ভাগ আন ৰাজ্যই ল'ব লাগিব। তথাপি ব্যংলাদেশৰ পৰা প্ৰব্ৰজন বন্ধ হোৱা নাই। বিদেশী আইনখন

ভাৰতৰ সকলো ৰাজ্যতে সমানে প্ৰযোজ্য নহয়; ইয়াতকৈ হাঁহিয়াতৰ কথা কি আছে? অসম দেশ কেন্দ্ৰৰ বহতীয়া ৰাজ্য নহয়; আন ৰাজ্যৰ দৰেই এই ৰাজ্যৰো সমান অধিকাৰ। প্ৰয়োজন হ'লে সংবিধানৰ নতুন সংশোধনী কৰিবই লাগিব। আমাৰ সংবিধানখন ভাৰতীয় জীৱনৰ ঘাত-প্ৰতিঘাতত স্বাভাৱিক ৰূপত সৃষ্টি হোৱা সংবিধান নহয়, ইয়াত পৰম্পৰৰ ঠায়ো নাই, সকলোবিলাকেই লিপিবদ্ধ ৰূপত। আমাৰ নেতাসকলে বিভিন্ন দেশৰ সংবিধাৰপৰা কাহিনী কাটি গঢ়ি তোলা আমাৰ সংবিধানখন মূলতে আছিল ভিক্ষাৰীৰ জোলোঙাহে। ফলত ঘনে ঘনে সংশোধনীৰ প্ৰয়োজন হৈছে আৰু হ'ব।

গণতান্ত্ৰিক শাসন পদ্ধতিও আমাৰ দেশত নতুন। পশ্চিমৰ শতকৰা এশজন শিক্ষিতৰ দেশৰ গণতন্ত্ৰক গোটে গোটে আনি শতকৰা ৮০ জন অশিক্ষিত আমাৰ দেশত বহুৱাই দিয়াৰ ফলত জনসংখ্যা বঢ়াবৰ কাৰণে অঘোষিত প্ৰতিযোগিতা আৰম্ভ হ'ল। গতিকে আমাৰ জন্ম-নিয়ন্ত্ৰণ আঁচনি ফুটা কলহ। ফলস্বৰূপে কোটি কোটি টকাৰ অপচয় হৈছে, আৰু বহুতৰ জেপ ভৰিছে। শিক্ষিতৰ মাজত জন্ম-নিয়ন্ত্ৰণ হৈছে সঁচা, সাধাৰণ অজ্ঞ লোকৰ জনসংখ্যা সমানে বাঢ়ি গৈছে। পৰিয়ালৰ মাত্ৰ তিনিটা সন্তানেহে ভোটাধিকাৰ পাব, এনে কঠোৰ নিয়ম সংবিধান সম্মত নকৰিলে, বা বাধ্যতামূলকভাবে অস্ত্ৰোপচাৰ কৰি হ'লেও জন্ম নিয়ন্ত্ৰণৰ ব্যৱস্থা নল'লে, ভাৰতৰ ভৱিষ্যত ভয়াবহ হ'ব। অলপতে 'চেণ্টিনেল' কাকতত এনে আলোচনা আৰু চিঠি ওলাইছে। সৰ্বনিম্ন মেট্ৰিক পাছ শিক্ষা নোহোৱাসকলক ভোটাধিকাৰৰপৰা বঞ্চিত কৰিব লাগে বুলি মন্তব্য দিছিল শ্ৰীযুত গণেশ চন্দ্ৰ ফুকনদেৱে। মই আজি প্ৰায় কুৰি বছৰৰ আগতে 'দৈনিক অসম'ত প্ৰকাশিত এখন চিঠিত চতুৰ্থ সন্তানৰ পৰা ভোটাধিকাৰ বঞ্চিত কৰিব লাগে বুলি পৰামৰ্শ দিছিলোঁ।

জন্ম-মৃত্যুৰ পঞ্জীয়ন বাধ্যতামূলক কৰি পাঠশালাত নাম লগোৱাৰ পৰা চাকৰি আদিৰ ক্ষেত্ৰত, ভোটৰ তালিকাত নাম ভৰ্তি কৰালৈকে সকলো ক্ষেত্ৰতে পঞ্জীয়ন ভুক্তিৰ নিদৰ্শনপত্ৰ দেখুওৱাটো বাধ্যতামূলক কৰিব লাগিব।

চাহ বাগানৰ অসমীয়াসকলৰ কাৰণে সুকীয়াকৈ ভবাৰ প্ৰয়োজন আমাৰ আছে, আৰু বহু বছৰলৈ থাকিব। গতিকে চাহ-অসমীয়া শব্দেৰেই এই সমাজখনক চিনাক্তকৰণ কিছু বছৰলৈ কৰি থাকিব লাগিব। বৰ্তমান এই সমাজখনৰ মাজৰপৰাই বহুতো শিক্ষিত ডেকা ওলাইছে, সেইসকলৰ মাজৰপৰা অসমীয়া সাহিত্যৰ আগশাৰীৰ লেখক, কবি, চিন্তাশীল লোক ওলাইছে। শ্ৰীযুত(সকল) সমীৰ তাঁতী, সনন্ত তাঁতী, নাৰায়ণ ঘটোৱাৰ, নয়ন ঘাটোৱাৰ, দীনেশ্বৰ তাছা, সুশীল কুমী, মেঘৰাজ কৰ্মকাৰ আদিয়ে নিজৰ সমাজক লৈ গল্প-উপন্যাস-নাটক ৰচনা কৰিবলৈ আগবাঢ়ি আহক। কাৰণ এইসকলৰ লেখনিত সমাজখনৰ মৰ্মবাণী যিদৰে ফুটি উঠিব, সমাজৰ দোষ-দুৰ্বলতাৰ চিত্ৰ যেনেদৰে এইসকলে সাহসেৰে দেখুৱাই দিব পাৰিব, এই সমাজৰ লগত সম্পৰ্কহীন এজনৰ লেখনিত সেইখিনি সম্ভৱ নহ'ব। মোৰ অভিজ্ঞতাৰ পৰা কওঁ যে নিজ সম্প্ৰদায়ৰ সাহিত্যিকসকলে নিজ নিজ গোষ্ঠী বা সম্প্ৰদায়ৰ বিষয়ে গল্প-উপন্যাস আদি ৰচনা কৰিলেহে নিৰ্ভৰশীল সৃষ্টি সম্ভৱ হ'ব।

আমাৰ দেশত দুটা জনগোষ্ঠী, ধৰ্ম, সম্প্ৰদায়, জাত-কুলৰ দুজন লোকৰ মাজৰ ঘনিষ্ঠ বন্ধুত্বক ব্যক্তিগত বন্ধুত্ব বুলিয়েই সকলোৱে গণিতা কৰে। কিন্তু তেনে দুজন লোকৰ মাজত যেতিয়া শত্ৰুতা হয়, তেতিয়া নিজ নিজ সম্প্ৰদায়, জাত-কুলক সংশ্লিষ্ট কৰি পেলোৱা হয়। এনে ক্ষেত্ৰত আমি লেখক সমাজ জনগোষ্ঠী সম্প্ৰদায়ক সাঙোৰা গল্প-উপন্যাস ৰচনাৰ ক্ষেত্ৰত সতৰ্ক হ'ব লাগিব।

এইখিনিতে আঞ্চলিক উপন্যাসৰ প্ৰশ্নটো উঠিছে। অধ্যাপক শ্ৰীৰংবং তেৰাঙৰ 'ৰংমিলিৰ হাঁহি'য়ে ভাৰতীয় যিকোনো ভাষাৰ আঞ্চলিক উপন্যাসৰ লগত সমানে আসন পাব। ইংৰাজী আদি ভাষালৈ ভাঙনি কৰিলে এই উপন্যাসে বিশ্বজুৰি সমাদৰ পাব বুলি মোৰ দৃঢ় বিশ্বাস। সেইদৰে ডাঃ জয়ন্ত ৰংপি ৰ 'পুৱাতে এজাক ধনেশ' আন এখন অনবদ্য উপন্যাস। ডাঃ ৰংপিয়ে কলম এৰি দিয়াত আমাৰ সাহিত্যৰ ক্ষতি হৈছে।

বাহিৰৰপৰা গৈ ভিতৰত সোমাই সংবেদনশীল মন এটাৰে লিখা 'ডিয়ুং নদীৰ গীত' শ্ৰীমতী স্বৰ্ণ ৰবাৰ ডিমাছাসকলৰ জীৱনধাৰাৰ বিষয়ে লিখা, ভৈয়ামৰ লগত সম্প্ৰীতি দেখুওৱা এক কাল্পনিক কাহিনীৰ বাস্তৱধৰ্মী উপন্যাস; তেওঁৰ দ্বিতীয় উপন্যাস গাৰোসকলৰ জীৱনধাৰাৰ ওপৰত লিখা 'চিমচাং নদীৰ হাঁহি' একমাত্ৰ অসমীয়া উপন্যাস। শ্ৰী নগেন ৰবৰা দেৱৰ ডিমাছা জীৱনৰ ওপৰত লিখা উপন্যাস উল্লেখনীয়। স্বৰ্গীয় ৰজনীকান্ত ৰৰদলৈদেৱৰ "মিৰি জীয়ৰী"য়েই আছিল আমাৰ

আঞ্চলিক উপন্যাসৰ বাটকটীয়া, কিন্তু সেই ধাৰাটো এতিয়াও সমৃদ্ধ হোৱা নাই। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱৰ 'ঈয়াৰ্ক্ঈজম'ৰ নতুন পৰিচয় নিস্প্ৰয়োজন। আমাৰ অসমীয়া নেপালী সমাজৰ ক্ষেত্ৰতো একে কথাই খাটিব। নেপালী সমাজৰপৰা আমাৰ শিক্ষিত ডেকা-গাভৰু ওলাইছে, কবি-সাহিত্যিক ওলাইছে। শ্ৰীযুত গোবিন্দ চন্দ্ৰ পৈৰা ডাঙৰীয়া আমাৰ আৱাহনৰ যুগৰপৰাই চিৰপৰিচিত আৰু শক্তিশালী লেখক। সেইদৰে হৰিপ্ৰসাদ গোৰ্খাৰায় ডাঙৰীয়াও আমাৰ সাহিত্যত স্মৰণীয় গল্পকাৰ হৈ থাকিব। সম্প্ৰতি অধ্যাপক শ্ৰীযুত নীল বাহাদুৰ ছেত্ৰীয়ে 'ব্ৰহ্মপুত্ৰকা চেওচাও' নামৰ নেপালী ভাষাৰ উপন্যাসত, শ্ৰীযুত পুষ্পলাল উপাধ্যায়ে 'উষা-মঞ্জৰী' নামৰ কবিতা সংকলনত একাডেমী বঁটা লাভ কৰি অসমৰ গৌৰৱ বঢ়াইছে। অৱশ্যে আমি এই দুখন কিতাপৰ অসমীয়া ভাঙণি বিচাৰোঁ। এইসকল আৰু এনেক্ষেত্ৰত আগবঢ়া শিল্পী-সাহিত্যিকসকলক অসম সাহিত্য সভাই স্বাগত জনায়।

শ্ৰীযুত বিষ্ণুনাৰায়ণ শাস্ত্ৰীৰ নামো গৌৰৱেৰে উল্লেখ কৰিছোঁ। তেখেতে সংস্কৃত ভাষাত উপন্যাস লিখি অকাডেমি বঁটা লাভ কৰিছে আৰু অসমৰ সংস্কৃত চৰ্চাৰ হেৰোৱা গৌৰৱ উদ্ধাৰ কাৰ্যত নিজৰ অৰিহণা আগবঢ়াইছে। এই উপন্যাসৰ অসমীয়া সংস্কৰণ লাগে। সংস্কৃত সাহিত্যত বিদগ্ধ কে'বাজনো পণ্ডিত আমাৰ মাজত আছে, সেইসকলক লৈ আমি গৌৰৱান্বিত। অধ্যাপক ড° মুকুন্দ মাধৱ শৰ্ম্মা, শ্ৰীযুত ৰজনীকান্ত দেৱশৰ্ম্মা আদিৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য।

এইসকলৰ নাম থাউকতে মনত পৰিলেও আমাৰ আৰু পণ্ডিত আছে, যিসকলে আৰ্থিক অসুবিধাত আমাৰ সাহিত্যলৈ একো দিব পৰা নাই।

বহুতে সংস্কৃত শিক্ষা বাধ্যতামূলক কৰাৰ কথা কয়। মই সেইসকলৰ লগত একমত হ'ব নোৱাৰি দুখ পাইছোঁ। এই মহামূল্যবান দেৱভাষা সকলোৰে কাৰণে মুকলি হৈছে, এয়েই হৈছে, 'স্ত্ৰী-শূদ্ৰ' সকলৰ কাৰণে পৰম সৌভাগ্য। যাৰ আগ্ৰহ আছে তেৱেঁই শিকক।

অসমৰ বাহিৰৰ পটভূমিত ৰচনা কৰা গল্প-উপন্যাস আমাৰ কম। এইক্ষেত্ৰতো বেজবৰুৱাই আছিল আমাৰ বাটকটীয়া। তাহানিয়ে ড° ভৱেন্দ্ৰ নাথ শইকীয়াই লণ্ডনৰ খণ্ড খণ্ড অভিজ্ঞতাৰ মানবীয় আকৰ্ষণযুক্ত কাহিনী 'এই বন্দৰৰ আবেলি' আলোচনীত (বাতৰি কাকতত?) প্ৰকাশ হৈছিল, আৰু এতিয়া কিতাপ আকাৰত প্ৰকাশিত হোৱা বুলি বিজ্ঞাপনত পাইছোঁ। ড° মামনি ৰয়চম গোস্বামীৰ একাধিক প্ৰখ্যাত উপন্যাস অসমৰ বাহিৰৰ পটভূমিত লিখা। প্ৰান্তিকত ছোৱা ছোৱাকৈ প্ৰকাশিত হৈ থকা শ্ৰীযুত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ "অনুৰাধাৰ দেশ" উৰিষ্যাৰ পাৰা দ্বীপৰ পটভূমিত লিখা উপন্যাস। শ্ৰীযুত প্ৰদীপ শইকীয়াৰ বৰ্তমান কিতাপ আকাৰে প্ৰকাশিত উপন্যাস "ওমৰ খায়াম" উল্লেখনীয় যি আমাৰ সাহিত্যৰ দিক্‌মণ্ডল বহলাইছে।

ভ্ৰমণ কাহিনী অৱশ্যে সুকীয়া সাহিত্য। আমাৰ ভ্ৰমণ সাহিত্যও চহকী নহয়। আনৰ উদাহৰণ দিবলৈ নগৈ চুবুৰীয়া বঙলা ভাষাৰ ভ্ৰমণ কাহিনীলৈ মন কৰিলেই হ'ল, কিমান বৈচিত্ৰপূৰ্ণ অভিজ্ঞতাৰে সমৃদ্ধ হৈছে এই ভাষাৰ ভ্ৰমণ সাহিত্য। আমাৰ শ্ৰীযুত দেৱেন্দ্ৰনাথ বড়াদেৱৰ দুই খণ্ডত সম্পূৰ্ণ ভ্ৰমণ কাহিনী "দেৱ ভূমি ভাৰত" এক অভিনৱ ভ্ৰমণ কাহিনী। সেইদৰে ড° নগেন শইকীয়াদেৱৰ "আমেৰিকাত দহ দিন" ভ্ৰমণ কাহিনীয়ে ক'বলৈ গ'লে ভুৰুকাত হাতী ভৰাইছে। এইখনে ড° বিৰিঞ্চি কুমাৰ বৰুৱা, অধ্যক্ষ হেম বৰুৱাৰ ভ্ৰমণ কাহিনীৰ লগত স্থান পাব। দুঃসাহসিক অভিযানলৈ আমাৰ ডেকা-গাভৰুৰ দল আগবাঢ়ি কৃতকাৰ্যতা লাভ কৰিছে। তেনে অভিযানৰ ব্যক্তিগত অভিজ্ঞতা সম্বলিত কাহিনী প্ৰকাশ হোৱা নাই।

অসমীয়া সাধু-সন্ন্যাসী, সাধক-যোগীৰ সংখ্যা কম। মুধাফুটা দুই এজন আমাৰ আছে, কিন্তু সাধাৰণতে প্ৰকাশ-বিমুখ তেখেতসকলৰ পৰা আধ্যাত্মিক জীৱনৰ অভিজ্ঞতাক লৈ কোনো গ্ৰন্থ আমি পোৱা নাই। বঙলা ভাষা এই ক্ষেত্ৰত যথেষ্ট সমৃদ্ধ। প্ৰকৃততে এয়াও একপ্ৰকাৰ ভ্ৰমণ কাহিনী-আধ্যাত্মিক জগতত। ভূত-প্ৰেত, তন্ত্ৰ-মন্ত্ৰৰ অভিজ্ঞতাক লৈ ৰচনা কৰা বিশ্বাসযোগ্য লেখকৰ কাহিনীয়ে সাহিত্যৰ বৈচিত্ৰ্য বঢ়াব।

আমাৰ পিছপৰা মুছলমান সম্প্ৰদায়ক লৈ উপন্যাস-গল্প আদি লিখাৰ ক্ষেত্ৰতো একেধৰণৰ সমস্যা আহিব। এইসকলৰ মাজৰপৰা বহুতো সাহিত্যিক, কবি, সমালোচক, শিক্ষক, অধ্যাপক, দেশনেতা ওলাইছে আৰু পুৰণি অসমীয়া মুছলমানসকলক গুণগতভাৱেও তেখেতসকলে চেৰ পেলাবলৈ আৰম্ভ কৰিছে। এওঁলোকক লৈয়ে আজি অসমত 'পলিটি"। যোৱা আন্দোলনত

এওঁলোকৰ বহুতকে 'বিবেক পুৰি খোৱা' নেতাসকলে উচটনি দি আন্দোলনৰ উদ্দেশ্য সম্পর্কে ভুল বুজাই আওবাটে নিছিল। সুযোগ সন্ধানীসকলে এওঁলোকক লৈ ন ন প্রলোভনো দেখুবাই আহিছে, আৰু ধর্মীয় অনুভূতিৰ সুযোগ লৈছে। মাতবুৰসকলে এওঁলোকৰ ওপৰতে মাত বুৰি কৰি আহিছে। গতিকে সেইসকলৰ মাজৰে সাহিত্যিকসকলে এওঁলোকৰ জীৱনধাৰাক লৈ, (আমাৰ প্রতিষ্ঠিত মুছলমান সাহিত্যিকেও) গল্প-উপন্যাসৰ মাজেদি এই সমাজখনক মূল সুঁতিলৈ আনক, আৰু ভুল বুজাবুজি আঁতৰাওক।

ধর্মৰ বিভিন্নতা আছেই, আৰু থকা উচিত। কিন্তু ধর্মসমূহৰ মূল ঐক্যৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। ধর্মীয় ঐক্য দেখুৱাবলৈ গৈ অথবা সনা-পোটোকা কৰি কোনো ধর্মৰে বিকৃত ব্যাখ্যা দিয়া উচিত নহয়।

আমাৰ প্রত্যেক জনগোষ্ঠীৰ লোকেই নিজস্ব গৌৰৱ আৰু ঐতিহ্যৰ অধিকাৰী। আমাৰ এনে কিছুমান উপমা-পটন্তৰ প্রচলিত, যিবিলাকে কোনো কোনো জনগোষ্ঠীৰ অনুভূতিক আঘাত কৰে।আনকি আমাৰ প্রসিদ্ধ সাহিত্যিক সকলৰ লেখাতো এনে অনুভূতিক আঘাত কৰা শব্দ আছে বা অজ্ঞাতে ব্যবহাৰ কৰা হৈছে। অত্যাচাৰৰ ক্ষেত্রত 'মান-মৰানক' একে শাৰীতে লোৱাৰ প্রবণতা এটা আমাৰ পুৰণি সমাজত আছিল; গতিকে সেই সমাজৰ সাহিত্যিকৰ ৰচনাতো সি প্রকাশ পাইছিল। ইয়াৰ দ্বাৰা মৰাণ সকলৰ গভীৰ দেশপ্রেমক আঘাত কৰা হৈছে, আৰু মৰাণ ছাত্র সস্থাই এই সম্পর্কে সাহিত্য সভাক অভিযোগপত্রও দিছে। আমাৰ ভৰিষ্যতৰ সাহিত্যিকসকল শব্দ ব্যবহাৰত অধিক সতর্ক হোৱা উচিত।

এতিয়ালৈকে মোৰ কথাখিনিত সাহিত্যতকৈ জীৱনৰ ওপৰতহে গুৰুত্ব পৰিছে বেছি। সাহিত্য আলোচনাত আমাৰ জীৱনধাৰা, জীৱনধাৰাক আগুৰি ধৰা নানান সমস্যাৰ আলোচনা অতি প্রয়োজনীয়। সাহিত্য জীৱনৰ সন্তান, 'জীৱন' সাহিত্যৰ সন্তান নহয়। আমাৰ সাহিত্য আমাৰ এই জীৱনৰ সন্তান। জীৱনৰপৰাই সাহিত্যই ৰস আহৰণ কৰি শক্তি পুষ্টি লাভ কৰে আৰু ওলোটাই জীৱনৰ ওপৰত জন্মৰ ঋণ পৰিশোধ কৰে। আন কথাত, প্রকৃত জাতীয় সাহিত্যই জীৱনক প্রভাৱান্বিত কৰে, জাতীয় জীৱনক গঢ় দি, সুনিয়ন্ত্রিত কৰে, শক্তি, সাহস, প্রেৰণা, উদ্দীপনা দিয়ে। সাহিত্য-কলা-শিল্পই জাতীয় জীৱনক সর্বাঙ্গসুন্দৰ কৰে, পৰিপূর্ণতা দিয়ে। সাহিত্য-সংস্কৃতি বিহীন জাতি এটা সকলো শক্তিৰ অধিকাৰী, বহু দক্ষতাৰ অধিকাৰী হৈও অপৈনত অৱস্থাত তলৰ খাপতে থাকিব লগা হয়। সভ্যতাক আহৰণ কৰি ল'ব পাৰি, কিনিবও পাৰি, কিন্তু সুকুমাৰ কলাৰ বিকাশ আৰু কর্ষণৰ স্থল নিজ নিজ অন্তৰবিলাকহে।

এতিয়ালৈকে কৰা আলোচনাত আমাৰ ক্ষত-বিক্ষত জর্জৰিত জাতীয় জীৱনৰ থুলমূল ধাৰণা এটা দিবলৈ চেষ্টা কৰিছিলোঁ। 'অসম সাহিত্য সভা' জাতীয় অনুষ্ঠানেই নহয়, ই এটি মহাজাতীয় অনুষ্ঠান হ'বলৈ আগবাঢ়িছে। এই অনুষ্ঠানৰ সভাপতি আৰু কর্মকর্তাসকল, বাইজে গনতান্ত্রিক পদ্ধতিৰে বাছি দিয়া বাইজৰ প্রতিনিধি। গতিকে সাহিত্য সভাৰ লোকসকল কোনো ধর্ম, বর্ণ, গোষ্ঠী, জাত-কুল, বাজনৈতিক আদর্শৰ প্রতিনিধি নহয়; একমাত্র সাহিত্য সভাৰ আদর্শৰ বাহকহে। যদি কোনোৱে ইয়াৰ বিপৰীত আচৰণ কৰে, তেনে লোক সভাৰ শত্রু, বাইজৰ শত্রু। সাহিত্য সভা সাহিত্যিকৰ সভা মাত্র নহয়, ই সকলো সাহিত্যপ্রেমী, ভাষাপ্রেমী, দেশপ্রেমী বাইজৰ উমৈহতীয়া মিলন ভূমি। এক ঐতিহাসিক প্রয়োজনৰ গুৰু দায়িত্ব জন্ম-লগ্নৰপৰাই এই সভাৰ কান্ধত। যিসকলে যুগে যুগে কঠোৰ পৰিশ্রম কৰি দুবেলা দুমুঠিৰে সংস্থান কৰি আহিছে, যিসকলে পদুলিয়ে পদুলিয়ে টোকাৰি বজাই মুখে মুখে গীত ৰচনা কৰি ভিক্ষা মাগি খাইছে; বিপদত, সম্পদত, ৰোগত, স্বাস্থ্যত, যুদ্ধত, শান্তিত সকলো সময়তে সাহিত্যৰ মাজেদি, গীতৰ মাজেদি, কবিতাৰ মাজেদি উৎসাহ, সান্ত্বনা, শক্তি, সাহস লাভ কৰি আহিছে, সেই বাইজ, সেই জনগোষ্ঠী সাহিত্য সভালৈ আহিলে দা-কটাৰী আদি বেছি বিক্রী হোৱা বতৰা আমাৰ কাকতত প্রকাশ পায়! তেনে পতনুৱা সাংবাদিকসকলে পাহৰি যায় যে আজিৰ সভ্যতাৰদ্বাৰা অৱহেলিত, এই দলিত-শোষিত-খেতিয়ক-বনুৱা-মুনিহ-তিৰোতাৰেই আমাৰ মহান সংস্কৃতিৰ, আমাৰ মহান সাহিত্যৰ ঐতিহ্যৰ বাহক হৈ আহিছে যুগে যুগে। মহাপুৰুষ দুজনাৰ কৃপাত অতি নিঃকিন, অতি সামান্যজনেও এক মহত্বপূর্ণ জীৱনৰ চকা-মকাকৈ হ'লেও পোহৰ দেখিবলৈ সমর্থ হৈ আহিছে, নিজক ধূলিৰ তলৰ ধূলি বুলি জানিও এই বিশ্বাস লৈ জীৱনৰ বাট বুলিব পাৰিছে যে মহান সৃষ্টিকর্তাৰ কৃপাকণা জীৱনত এদিন পৰিবই —

"তোকো নেপাহৰে প্রিয়তকৈ প্রিয়ই তোৰ

আদৰি ল'বহি তুলি।"

আমাৰ এই দা-কটাৰী-নাঙল লোৱা লোকসকলেই মুখত কবিতা, হাতত কলম লৈ ফুৰা লোক। মাধৱদেৱ পুৰুষে নিজে খেতি-বাতি কৰিছিল, তামোল-পাণৰ বেপাৰো কৰিছিল; ভৱানন্দ মুদৈ আছিল বৰ সদাগৰ, কিন্তু আগ বয়সত তামোল-পাণ, ছাগলীৰ বেপাৰ কৰিহে বৰ সদাগৰ হৈছিল, আৰু তেতিয়াও নিজৰ অঞ্চলৰ কবি পীতাম্বৰ দ্বিজৰ কবিতা মুখে মুখে শ্ৰীমন্ত শঙ্কৰদেৱৰ আগত গাই শুনাব পাৰিছিল। পিছত নাৰায়ণ ঠাকুৰ হৈ ভৱানন্দ সদাগৰে অসমৰ ধৰ্ম-সংস্কৃতি-সাহিত্যৰ ক্ষেত্ৰত যি বৰঙণি যোগাই গ'ল, সেই কথা আমাৰ ধৰ্ম-সংস্কৃতি-সাহিত্যৰ বুৰঞ্জীত সোণোৱালী আখৰেৰে লিখা ৰ'ল। বেজবৰুৱায়ো সম্বলপুৰত এহাতে কুঠাৰ এহাতে কলম লৈ অমৰ সাহিত্য সৃষ্টি কৰি গ'ল।

আহক, আমি সকলোৱে একমুঠ হৈ মহান দেশৰ মহান ঐতিহ্য ৰক্ষা কৰোঁ। সুকীয়া সুকীয়াকৈ, গাই-গোটা পেটে ভঁৰাল হৈ আমাৰ অসংখ্য প্ৰজাতি, ধৰ্ম-গোষ্ঠী, ভাষা গোষ্ঠীৰ লোক কেতিয়াও তিষ্ঠি থাকিব নোৱাৰিম, কাল-লুইতে সকলোকে উটুৱাই লৈ যাব।

আমি ভাগৰি পৰিলে নচলিব, আমি শুই পৰিলে সেয়ে হ'ব আমাৰ শেষ শয়ন,— আমি মৰি মৰি জী উঠিব লাগিব, আমি পৰি পৰি থিয় হ'ব লাগিব ঃ

"মৰিও নমৰে পৰিও নপৰে বাণ-ভগদত্ত-চুকাফা জাত,
গৃহ-কন্দলত জ্বলা-কলা আজি নহ'লে কোনেনো দিয়েহি হাত।"

— কবিৰ এইবাণী আমাৰ কাৰমে সঞ্জীৱণী, চিৰ আশাৰ বাণী।

যুগৰ পৰিবৰ্তন হ'ল — বিজ্ঞানৰ চমকপ্ৰদ আৱিস্কাৰে আমাৰ পৃথিবীখন সৰু কৰি পেলালে আমি এই মাটি, এই পানী, এই বোকা, এই কোৰ-কটাৰীৰপৰা আঁতৰি থাকিব নোৱাৰো। আমাৰ সাহিত্যত বিশ্বৰ বিভিন্ন সাহিত্যৰ ভাৱধাৰাৰ খলকনি লাগিল, পোনপটীয়া আওপকীয়া প্ৰভাৱ আহিল, আমাৰ ভাষালৈ নতুন নতুন শব্দ আহিল, সাহিত্যত নতুন নতুন আদৰ্শ, চিন্তাৰ সমাগম হ'ল আৰু উপযুক্ত ভাৱ প্ৰকাশক শব্দৰ সৃষ্টি, আমদানি হ'ল। ইংৰাজী ভাষাৰ প্ৰভাৱত আন আন বিষয়বস্তু, ফৰ্মৰ লগতে ইংৰাজী বাক্য গাঁথনিৰো প্ৰভাৱ আমাৰ বাক্য গাঁথনিত পৰিল। এই প্ৰভাৱ 'আৱাহন'ৰ কালৰপৰা অনুভূত হৈছিল — যদিও ৰামধেনু যুগত আৰু প্ৰকট হৈ পৰিল। অৱশ্যে স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ আৰু ডঁ কাকতিৰ ভাষাতে এই প্ৰভাৱ স্পষ্ট। সম্প্ৰতি সাপ্তাহিক, পখেকীয়া বিভিন্ন ধৰণৰ কাকতৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে সংবাদপত্ৰধৰ্মী এটা শক্তিশালী গদ্যৰ সৃষ্টি হৈছে — যাক সুকীয়াকৈ আমি সংবাদপত্ৰধৰ্মী গদ্য আখ্যা দিব পাৰোঁ। কোনো কোনো চিন্তাশীল সংবাদপত্ৰধৰ্মী লেখকে এই গদ্যত ইংৰাজী-আমেৰিকান গদ্যৰ ঠাঁচ আৰু অসমীয়া নিজা গদ্যৰ ঠাঁচৰ এটা মিহলি ৰূপ দিবলৈ চেষ্টা কৰি কৃতকাৰ্য হৈছে, আৰু ভাষাটোও শক্তিবান, প্ৰাঞ্জল, প্ৰসাদ গুণসমৃদ্ধ হৈ পৰিছে। অৱশ্যেনতুন নতুন শব্দই পুৰণি বহুত শব্দক হেঁচুকি নিছে - আনহাতে বাংলা গদ্যৰ পোনপটীয়া প্ৰভাৱো আমাৰ দৃষ্টিকটু আৰু কাণত বজাধৰণৰ হৈ পৰিছে। 'দেশ'-ভক্ত কেইজনমান বচনাত বঙলুৱা প্ৰভাৱ জীন নোজোৱা ধৰণৰ। সময়ত আমাৰ ভাষাৰ নিজা কালিকা যাতে হেৰাই নাযায়, সেইফালেও আমাৰ লেখকসকলে চকু ৰাখিব লাগিব।

শিক্ষা-বিস্তাৰৰ গতি স্বাভাৱিকতে লেহেম হোৱাত - এতিয়াৰ সাহিত্যৰ ভাষাই আগৰদৰে সৰ্বসাধাৰণৰ হৃদয় স্পৰ্শ কৰিবপৰা নাই -দশম, কীৰ্তন, পুৰণি নাটৰ ভাষাই সংস্কৃত, ব্ৰজবুলি শব্দ লৈও যিদৰে জনগণৰ অন্তৰত স্থান লৈ আহিছিল।

আমাৰ ভাষাত আৰবী-ফাৰ্চী মূলীয় শব্দ শ্ৰীশঙ্কৰদেৱৰ বহু বছৰৰ আগৰপৰাই - হেম সৰস্বতীৰ বচনাৰপৰাই ব্যৱহৃত হৈছে। শ্ৰীশঙ্কৰদেৱৰ বচনাতো ওৱাচিল, বাঙ্কি, ফৰ্মান, চাহাব, চাকৰি, দোকান, দোকানী আদি বহুতো ফাৰ্চী শব্দৰ ব্যৱহাৰ হৈছে। ইংৰাজৰ শাসন কালত শাসন, আইন, সংস্কৃতি সম্পৰ্কীয় বহুত পাৰ্চী শব্দ, ইংৰাজী ভাষাৰ শব্দৰ লগতে ব্যৱহৃত হৈ আমাৰ ভাষাত জীন গ'ল— আইন, আদালত, কেৰাণী, মহৰী, উকিল, হাকিম, মুঞ্জুপ, দপ্তৰ (দোপদৰ), খানা, থানা, নাস্তা, পিৰিচ, পিয়লা, দলিল, দস্তাবেজ, হাকিম, চাহাব, কাগজ, কলম, চিয়াহী, এনে অসংখ্য শব্দ। আমি এতিয়া ৰবচাহাব, মাটিৰ হাকিম আদি শব্দবোৰ এৰি নতুন কিছুমান শব্দ ব্যৱহাৰ কৰিবলৈ ল'লো।

নতুন নতুন বৈজ্ঞানিক পৰিভাষা ভাৰতীয় ভাষাত সৃষ্টি কৰি লোৱা হ'ল। এনে শব্দৰ ক্ষেত্ৰত ইংৰাজী আন্তৰ্জাতিক শব্দবোৰকে

আমিও ব্যৱহাৰত ৰখা উচিত হ'লহেতেন বুলি ভাবোঁ। ইংৰাজী ভাষা আমি বহু বছৰলৈ, ভৱিষ্যতৰ বহু যুগলৈ ৰাখিব লাগিব, নহ'লে জ্ঞান-বিজ্ঞানৰ জগতখন সীমাবদ্ধ হ'ব। ইংৰাজী হটাওঁৰ দলত মই নাই। আমাৰ ল'ৰাই ইংৰাজী ভাষা যত্নেৰে শিকা উচিত, - শিক্ষাৰ মাধ্যম হিচাপে নহয় অৱশ্যে। মোৰ নিজা মত এয়ে যে, ইংৰাজীভাষা এদিন ভাৰতৰপৰা গ'লে সৰ্বভাৰতীয় ঐক্যও ঠান-বান হ'ব — যি ঐক্য, সংস্কৃত ভাষা, এই ভাষাত ৰচিত মহান শাস্ত্ৰবোৰ, পুৰাণ, কাব্য, মহাকাব্যয়ো আনিবপৰা নাছিল। যদি হেজাৰ বছৰৰ আগৰেপৰা সংস্কৃত জনসাধাৰণৰ মাজত প্ৰচাৰৰ কাৰণে মুকলি থাকিলহেঁতেন, তেন্তে আজি বোধকৰো সংস্কৃত ভাষায়েই ইংৰাজীৰ স্থান নললেহেঁতেন। ইংৰাজী বহুত শব্দও - আমি কৃত্ৰিম অসমীয়া বা ভাৰতীয় হ'বলৈ গৈ- আমাৰ ভাষাৰপৰা দূৰ কৰিব নালাগে। ওৱার্ড্‌ৰব, ফ্ৰীজ, ৰেডিঅ', টি ভি, বাকচ, গিলাছ, বুটাম, গুডাম, চাদৰৰ ফলচ্, এমব্ৰইদাৰী আৰু এই সম্পৰ্কত ব্যৱহৃত শব্দাৱলী, কাপ, পিলেট - আদি অসংখ্য শব্দ - (ইংৰাজী বা ইংৰাজী মূলৰ) আমাৰ দৈনিক ব্যৱহাৰত সোমাই গ'ল। পৰ্টুগীজ 'আলমিৰা'ই 'আলমাৰী' হৈ আমাৰ শোৱনী কোঠাৰ চুক শুৱনী কৰিছে। পৰ্টুগীজ 'আনাৰস', ৰসযুক্ত হৈ আমাৰ জিবাত সোৱাদ দি আহিছে— যি সোৱাদ 'মাটিকঠালে' দিব নোৱাৰিলে। পৰ্টুগীজ 'বাল্টি'য়ে আমাৰ পাকঘৰৰ লোটা-কলহকো আঁতৰালে।

সেইদৰে বিভিন্ন জনজাতীয় ভাষাৰ নতুন নতুন শব্দও আমাৰ ব্যৱহাৰলৈ অনা উচিত। তাহানি ৰবদলৈদেৰে 'মিৰি জীয়ৰী'ত মিচিং ভাষাৰ বহুতো শব্দ ব্যৱহাৰ কৰিছিল। এতিয়াৰ শ্ৰীযুত ছামছিং হাঞ্জে, শ্ৰীমতী জ্যোৎসা সোনোৱাল আদিয়েও কবিতত নিজ নিজ ভাষাৰ শব্দ ব্যৱহাৰ কৰি আহিছে। এনে জনজাতীয় শব্দৰ একোটা তালিকা বাতৰি কাকতৰ সম্পাদকলৈ বছৰি পঠিওৱাৰ ব্যৱস্থা কৰিলে, আৰু কাকতবিলাকে এই শব্দ ব্যৱহাৰলৈ আনিলে সৰ্বসাধাৰণৰ ব্যৱহাৰত সোমাই পৰিব। ভৱিষ্যতৰ অভিধানত এই শব্দবোৰে স্থান পাব লাগিব।

শব্দ সম্পদ বঢ়াৰ লগে লগে আখৰ জোঁটনিৰ সমস্যাও আহিব। আমাৰ আখৰ জোঁটনিৰ খেলি-মেলি আছেই। উচ্চাৰণ কেনেধৰণৰ হ'ব? দন্ত্য-মূৰ্ধণ্য বৰ্গৰ উচ্চাৰণৰ পাৰ্থক্যৰ ওপৰত গুৰুত্ব দিম নে মাথোন দন্ত্য বৰ্গকে আমাৰ বৰ্ণমালাত ৰাখিম? আমাৰ পাঠশালা-স্কুলবিলাকত উচ্চাৰণত গুৰুত্ব দিয়া হয়নে? আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত হয়নে? বিফ্ৰেছাৰ ক'ৰ্চৰ ব্যৱস্থা নিয়মীয়া কৰিব পাৰিনে? শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বছৰেকীয়া একোটা পৰীক্ষা পাতি তেওঁলোকৰ কৰ্ম-কুশলতা চাইহে বছৰি দৰমহা বৃদ্ধিৰ ব্যৱস্থা কৰিব লাগে। শিক্ষক নিয়োগ, স্থানান্তৰ কাৰ্যত শ্ৰেণীবদ্ধ নিৰিখৰ ব্যৱস্থা থকাৰ কেলেঙ্কাৰী ঘুনুক-ঘানাককৈ শুনা যায়; সেই সম্পৰ্কে শিক্ষা বিভাগে চোকা দৃষ্টি ৰাখিব লাগে, আৰু চোৱাংচোৱা নিয়োগ কৰি তেনে কাৰ্যৰ সত্যতা পৰীক্ষা কৰাব লাগে। উপযুক্ত প্ৰাথমিক শিক্ষাই আমাৰ জাতীয় জীৱনৰ ভেটি। পাঠশালা স্কুলবিলাকত চলন্ত পুথিভঁৰালৰ ব্যৱস্থা কৰিব লাগে। তাহানি শৰৎ চন্দ্ৰ গোস্বামীদেৱে এম, ই, এম, ভি স্কুলত এই ব্যৱস্থা কৰিছিল। নিজা পুথিভঁৰাল নোহোৱাকৈয়ো আমাৰ এল, পি, স্কুলৰ শিক্ষক-ছাত্ৰ উপকৃত হোৱাকৈ নতুন নতুন বিষয়ৰ সাধাৰণ জ্ঞান, এই উপায়েৰে লাভ কৰাত সহায়ক হ'ব।

উচ্চৰণ, আখৰ জোঁটনি আদি প্ৰশ্নৰ লগত এখন নিৰ্ভুল, বিজ্ঞানসম্মত অভিধানৰ প্ৰশ্নটো আহি যায়। চন্দ্ৰকান্ত অভিধানৰ নতুন সংস্কৰণত বহুতো ভুল থকাৰ কথা কাকতত ওলাইছে। সেই ভুলৰ শুধৰণি দি এখন তালিকা অভিধানৰ পিছফাললৈ সংযোজিত কৰিব যদি পাৰি, তেনেহ'লে বিশ্ববিদ্যালয়ে তৎকালেই সেই ব্যৱস্থা কৰক। এখন ভাল অভিধান নহ'লে আমি কোঙা হৈ পৰিম। অভিধান প্ৰণয়ণত এখন নিজা সচিবালয় আৰু অবিৰাম গৱেষণাৰ ব্যৱস্থা থাকিব লাগে। আমাৰ দৰে দুখীয়া দেশত এনে কাম হাতত লোৱা টান। তথাপি আমাৰ সুযোগ্য পণ্ডিতসকলক লৈ মাজে মাজে বিশ্ববিদ্যালয়, সাহিত্য সভাই অভিধান সম্পৰ্কীয় আলোচনাৰ ব্যৱস্থা কৰিব পাৰে। বিশ্ববিদ্যালয় শিক্ষা আয়োগৰপৰাও কিবা আৰ্থিক অনুদান পাব পাৰি নেকি, তাৰ চেষ্টাও কৰিব লাগে।

অসমীয়া মানুহ কিয় আজি সাহিত্যবিমুখ হ'ল, এই প্ৰশ্নৰ উত্তৰত বহুতো কথা ক'ব পাৰি। কিন্তু মোক যদি সোধে, মই এনে আষাৰেই ক'ম যে যোৱা ডেৰকুৰি বছৰৰ পাঠ্য-পুথিয়েই (হাইস্কুলৰপৰা কলেজলৈ) ইয়াৰ প্ৰধান কাৰণ। পাঠ্য-পুথিতকৈও, পাঠ্য-তালিকাবিলাকে ছাত্ৰ-ছাত্ৰীসকলক চিৰকালৰবাবে অসমীয়া সাহিত্যবিমুখ কৰি তুলিলে। আমাৰ পাঠ্য-তালিকাত পাণ্ডিত্য

আছে কিন্তু কল্পনা নাই।

পাঠ্যপুথি প্রসঙ্গত শিশু-সাহিত্যৰ প্রশ্নটোও আহি গ'ল। আমি আমাৰ ল'ৰা-ছোৱালীবিলাকৰ কাৰণে কি কৰি আহিছোঁ, এই কথা নিজকে সুধিলেই হ'ল। সামর্থ্য থকাসকলেও ল'ৰা-ছোৱালীক কিতাপ কিনি নিদিওঁ আৰু দিবলৈ ইচ্ছা কৰাসকলে উপযুক্ত কিতাপ নাপায়। প্রকৃততে অকণিহঁতৰ মনৰ কল্পনাৰ লগত খাপ খোৱাকৈ কিতাপ লিখা সাহিত্যিকেই বা আমাৰ কেইজন? ডাঙৰৰ কাৰণে লিখা ভাষাতে 'বুজিছানে'! 'মৰমৰ অকনিহঁত' আদি চেনি-মিঠে সানি তেওঁলোকক দিবৰ চেষ্টা চলিল চল্লিছৰ পৰা পঁচপন্ন চন মানৰ সময়খিনিত। অৱশ্যে যোৱা দহ বছৰমানৰপৰা এই বিষয়ত আশাৰ সঞ্চাৰ হৈছে। তাহানিতে বাণী প্রকাশে শিশু সাহিত্যৰ এটি সংকলন প্রকাশ কৰিছিল, তাৰ পিছত শ্রীযুত ৰত্ন ওজা আদিৰ দ্বাৰা সম্পাদিত হৈ "ৰং আহে পাখি মেলি" সংকলন প্রকাশ হৈছিল। শ্রীযুত নৱকান্ত ৰৰুৱা, শ্রীমতী নির্মলপ্রভা ৰৰদলৈয়ে কিন্তু অকণিহঁতক পাহৰা নাই। নৱকান্ত ৰৰুৱাৰ দ্বাৰা সম্পাদিত "মৰুৱাফুল" এখন উল্লেখযোগ্য শিশুৰ উপযোগী কবিতাৰ সংকলন। ৰৰদলৈৰ কে'বাখনো কিতাপ মইনাহঁতৰ লগৰী। বর্তমানে সঁফুৰা, মৌচাক, মু কুতা মইনা আদি শিশু আলোচনীয়ে, আৰু বাতৰি কাকতবিলাকৰ শিশু বিভাগে অকণিহঁতৰ প্রতি বাঢ়ি অহা সজাগতাৰ কথাই প্রমাণ কৰিছে। শিশু সাহিত্যত যোৱাটো দশকত বিভিন্ন গৰাকী লেখক-লেখিকাই একাণপতীয়াকৈ অৰিহণা আগবঢ়াই আহিছে। সকলোৰে নাম উল্লেখ কৰিব নোৱাৰি মই দুঃখিত।

চেমনীয়াসকলৰ উপযোগী দুঃসাহসিক কাহিনী, যুদ্ধৰ কাহিনী, বিভিন্ন অভিযানৰ কাহিনী, দুর্গম যাত্রাৰ কাহিনী, ডিটেকটিভ আৰু ৰহস্য কাহিনী, বিজ্ঞানৰ বিচিত্র কাহিনীৰ প্রয়োজনো অধিক হৈ পৰিছে। 'বিস্ময়', 'ৰহস্য' আদি আলোচনীয়ে চেমনীয়া আৰু আন বহুতৰ মাজতপঠনৰ আগ্রহ বঢ়াই তুলিছে। এনেধৰণৰ সাহিত্যত একানপতীয়াকৈ লাগি থকাসকলৰ ভিতৰত শ্রীদীন তামুলী, শ্রীসত্যৰঞ্জন কলিতা, শ্রীৰঞ্জু হাজৰিকা আদিৰ নাম ল'ব পাৰি। অৱশ্যে হ'ৰৰ বা বিভীষিকাৰ কাহিনীয়ে চেমনীয়াৰ মনত বিপৰীত প্রতিক্রিয়াৰ সৃষ্টি কৰিব পাৰে, এই কথাটোলৈ লেখকসকলে লক্ষ ৰাখিব লাগে।

বিজ্ঞান বিষয়ক ল'ৰা-ছোৱালীৰ উপযোগী কিতাপ-আলোচনী আমাৰ ওলাইছে- এইটো অতিকে আশাৰ কথা। আমাৰ দেশত বৈজ্ঞানিক চিন্তাধাৰা এটা পাশ্চাত্য প্রভাৱেও গঢ়ি তুলিব পৰা নাই। বিজ্ঞানৰ আৱিস্কাৰসমূহ আমাৰ কাৰণে অলৌকিক, মেজিক, পৰম বিস্ময়। হেজাৰ হেজাৰ বছৰ ধৰি আমি ঢেকী-উড়ালত বনা-খুন্দাৰ কাম কৰিছোঁ, গৰুগাড়ী, ঘোঁৰাগাড়ী, হাতীৰে যাতায়াত কৰিছোঁ, নাও-ভূৰেৰে নৈ পাৰ হৈছোঁ, দূৰৰ খাল-নৈ পুখুৰীৰ পানী আনি ব্যৱহাৰ কৰিছোঁ বা ঘৰতে নাদ, পাটকুৰাঁ বহুৱাইছোঁ - কেতিয়াবা এই জীৱন-যাত্রা সুগম কৰাৰ চিন্তা কৰা নাই। এনে নতুন চিন্তাৰ প্রভাৱতে আজি সকলো বৈজ্ঞানিক আৱিস্কাৰেই ইৰোপত সম্ভৱ হৈছে। আমাৰ ল'ৰ-ছোৱালীৰ মনক নজনাক জনাৰ প্রতি, কার্য-কাৰণত সম্পর্ক বিচাৰৰ প্রতি সজাগ কৰি তুলিব পাৰিব বিজ্ঞান সাহিত্যইহে। সুখৰ কথা, আমাৰ বিজ্ঞান বিষয়ক কে'বাখনো আলোচনী (বিজ্ঞান-জেউতি, বিজ্ঞান-বার্তা, আৱিস্কাৰ, দৃষ্টি, জ্ঞানদীপ) ওলোৱাৰ উপৰিও শিশু-চেমনীয়াৰ উপযোগী (ডাঙৰৰো উপযোগী) কিতাপো ওলাইছে। ড° দীনেশ গোস্বামী, ড° কুলেন্দু পাঠক, ড° অমৰজ্যোতি চৌধুৰী, ড° মহেন্দ্র নাথ ৰৱা, অধ্যাপক ক্ষীৰধৰ ৰৰুৱা, বিজয়কৃষ্ণ শর্মা, ড° পদ্মপাণি, অধ্যাপক ৰমেশ গোস্বামী ইত্যাদি এই সকলে এই ফালটোলৈ বিশেষ চকু দিছে।

এনেবিলাক কিতাপ স্কুল-লাইব্রেৰী আদিত ৰখাটো বাধ্যতামূলক কৰিব লাগিব। স্কুলৰ বঁটা আদিৰ ক্ষেত্রতো এনে কিতাপ দিয়াৰ প্রতি স্কুল কর্তৃপক্ষই চকু দিব লাগিব।

স্বাস্থ্য-বিজ্ঞান সম্পর্কীয় আলোচনী আমাৰ ওলাইছে যদিও বেছি দিন নচলে। এতিয়া ডাঃ নগেন দত্তদেৱে সম্পাদনা কৰি "স্বাস্থ্য চিন্তা" আলোচনী উলিওৱাৰ উপৰি কে'বাখনো ৰোগ-নিৰাময় সম্পর্কীয় কিতাপ লিখি জনসাধাৰণৰ মাজত নতুন আগ্রহ জন্মাব পাৰিছে। তেখেতৰ ভাষা আৰু ঠাঁচ অতি আকর্ষণীয়। ডাঃ গকুল ৰৱাদেৱেও এনে কিতাপ আৰু প্রবন্ধ লিখি আছে।

তাহানিৰ "বৈদ্য অমৰ", "নিদান সাৰ সংগ্রহ" আদি কিতাপৰ নতুন সাজৰণৰ প্রয়োজন। বর্তমান শ্রীযুত গুণাৰাম খনিকৰদেৱে বনৌষধি বিষয়ক কিতাপ, জীৱ-জন্তুৰ চিকিৎসা বিষয়ক বনৌষধিৰ কিতাপ লেখিছে।

ডাঃ প্রদীপ চন্দ্র শর্মায়ো বনৌষধি বিষয়ক জনপ্রিয় কিতাপ ৰচনা কৰিছে। শ্রীযুত মোহন চন্দ্র ৰৱাদেৱে প্রাকৃতিক চিকিৎসা

বিষয়ক প্রবন্ধ আৰু গ্ৰন্থ প্ৰকাশ কৰিছে।

জীৱ-জন্তুৰ চিকিৎসা বিষয়ক, বিশেষকৈ পোহনীয়া জীৱ-জন্তুৰ ৰোগ আৰু চিকিৎসা বিষয়ক কিতাপ, কৃষি-বিষয়ক কিতাপ, দুই-এখনহে চকুত পৰে। এনে বিষয়ৰ কিতাপ আৰু আলোচনী অতি প্ৰয়োজনীয়। ঘৰচীয়া জীৱ-জন্তু সম্পৰ্কীয় আলোচনা শ্ৰীযুত ফটিক চন্দ্ৰ গগৈ, শ্ৰীজীৱন চন্দ্ৰ দাস আদিয়ে কাকত-আলোচনীত কৰিছে।

কাৰিকৰী জ্ঞানৰ কিতাপৰ আমাৰ ৰৰ অভাৱ। সহজ মটৰ শিক্ষা, ৰেডিঅ', টি-ভি, ঘড়ী আদি মেৰামতিৰ কাম সহজে শিকিবপৰা ধৰণৰ কিতাপ দুখন নে এখন হে আমাৰ আছে।

খেল-ধেমালিৰ আলোচনী "অভিৰুচী" আদিয়ে আমাৰ এই বিষয়ত অভাৱ পূৰণ কৰিছে। কাকত-পত্ৰত অৱশ্যে নিয়মীয়া শিতান থাকে। খেল-বিষয়ক কিতাপ লিখোতাসকলৰ সংখ্যা কম, সম্ভৱ প্ৰকাশকো নাই। শ্ৰীযুত পুলক লাহিড়ীৰ নাম এই ক্ষেত্ৰত স্মৰণীয়। আমাৰ নিজা খেল-ধেমালিৰ ভিতৰত খেলা কড়িখেল, বাঘ-গৰু, আদি খেল ব্যৱসায়িকভাৱে উলিয়াব পাৰি। তাহানি বিলাতত স্বৰ্গীয় শুকদেৱ গোস্বামীয়ে 'হ'ল্ড ডেট্ টাইগাৰ' নাম দি বাঘ-গৰু খেল উলিয়াই খেলাটোক জনপ্ৰিয় কৰিছিল।

পুষ্পসজ্জা, এম্ব্ৰইডাৰী, পেইণ্টিং বা ৰঙীন চিত্ৰৰ কাম, কুৰুচাৰ কাম, তাঁতত ফুল তোলা চানেকিৰ কিতাপ, চিলাই আৰু সাজ-পাৰ তৈয়াৰ কৰা বিষয়ক কিতাপ আমাৰ নাই। এইবিলাক কিতাপৰ প্ৰকাশৰ প্ৰকাশনত খৰচ পৰে কাৰণেই প্ৰকাশক কম। কিন্তু সাহসী প্ৰকাশক ওলাব লাগে। শ্ৰীমতী প্ৰীতি কাকতীৰ "পুষ্পসজ্জা" এই বিষয়ত বোধহয় একমাত্ৰ কিতাপ।

ৰন্ধন-বিদ্যা সম্পৰ্কীয় কিতাপ আমাৰ ওলাইছে, আৰু কেইখনমান দুস্প্ৰাপ্যও। এই সম্পৰ্কত শ্ৰীমতী(সকল) নিৰ্মালি হাজৰিকা, লক্ষ্মীপ্ৰিয়া চাংকাকতী আদিৰ নাম মনত পৰিল।

শিশু সাহিত্যৰ প্ৰসঙ্গত আৰু এটা কথালৈ আঙুলিয়াব খোজোঁ। শিশু আৰু চেমনীয়াক আকৰ্ষিত কৰিবলৈ সাহিত্য সভাৰ যোগেদি আঞ্চলিক ভাৱে একোটা সমাৰোহ পতাৰ ব্যৱস্থা কৰিব নোৱাৰিনে- য'ত তেওঁলোকে আবৃত্তি, গীত, চিত্ৰাঙ্কন, কুইজ আদিত ভাগ লৈ, নিজে লিখা গদ্য-পদ্য পঢ়ি, সাহিত্য সভাৰ প্ৰতি আগ্ৰহী হ'ব পাৰে?

জ্যোতিষ বিষয়ক আলোচনা, চিন্তা-চৰ্চ্চা আমাৰ বাঢ়িছে। 'সৃষ্টি' আৰু 'কালপুৰুষ' দুখন আলোচনী সমানে চলিছে। একাধিক অসমীয়া পঞ্জিকা (প্ৰাগজ্যোতিষ, কালপুৰুষ, নৱগ্ৰহ) প্ৰকাশিত হৈছে। সুলেখক শ্ৰীযুত অৱনীন্দ্ৰ চন্দ্ৰ ৰৰাদেৱে (কালপুৰুষ ৰ সম্পাদক) জ্যোতিষ বিষয়ক সৰ্বভাৰতীয় সম্মান লাভ কৰিছে।

আমাৰ মহিলা সমাজে ভাৰতীয় স্বাধীনতা আন্দোলনৰ দিন ধৰি যোৱা দীঘলীয়া আন্দোলনলৈকে পুৰুষৰ সমানে থিয় হৈ যি ভূমিকা গ্ৰহণ কৰি আহিছে, সি আমাৰ জাতীয় বুৰঞ্জীৰ অঙ্গ। তাহানি জয়মতী, ৰাধা-ৰুক্মিণী, সাধনী, মূলাগাভৰু, ৰাধিকা শান্তি আদি মহীয়সী নাৰীৰ কথা এৰিও স্বাধীনতা যুঁজত পুলিচৰ গুলীত প্ৰাণ দিয়া কনকলতা, ভোগেশ্বৰী ফুকননী, খহুলী নাথ, আদি বহুতো মহিলাৰ ত্যাগ আৰু সাহসৰ কাহিনীৰে আমাৰ বুৰঞ্জী ৰঞ্জিত।

সাহিত্য-কলা আদিৰ ক্ষেত্ৰত আমাৰ মহিলাসকলৰ নাম বৈষ্ণৱ যুগৰপৰাই পাওঁ যদিও স্ত্ৰীশিক্ষাৰ বিকাশ আমাৰ দেশত বহুত পলমকৈ হোৱাত নাৰী মনৰ স্বাধীন প্ৰাকশ আমাৰ সাহিত্যত এতিয়াহে দেখা পাবলৈ আ�ৰম্ভ কৰিছোঁ। তাৰ আগতে গল্প-কবিতা উপন্যাসত মাত্ৰ পুৰুষৰ দৃষ্টিৰেহে নাৰীক দেখিবলৈ পাওঁ। বাকী আমাৰ গাঁও-ভূইৰ নাৰীসকল সংসাৰৰ, পৰিয়ালৰ বোজা বৈ বৈয়ে জীৱন পাত কৰিছে। আমাৰ পুৰুষতকৈ তিৰোতাৰ কামৰ বোজা সৰহ, আৰু সেই বোজা পাতলোৱাৰ কোনো বৈজ্ঞানিক চিন্তা ভাৰতীয় সমাজত নাছিল। তাৰ মাজতেই অনাখৰী মহিলাসকলেই আমাৰ সামাজিক ৰীতি-নীতি, জন-সংস্কৃতি, মৌখিক গীত-পদ, নাম-গুণ আদি ৰক্ষা কৰি এক বৈচিত্ৰ্যময়, সুৰুচিসম্মত সামাজিক জীৱনৰ ধাৰাটো বহন কৰি আহিছে। বহুতো ক্ষেত্ৰত পুৰুষৰ অত্যাচাৰৰ বলি হৈছে। ভাৰতৰ বিভিন্ন ৰাজ্যত যৌতুকৰ বলি হৈছে যদিও সেইবিলাক ৰাজ্যৰ গল্প-উপন্যাস-নাট-চিনেমাত প্ৰেমৰ বাহিৰে, ফুলত ধৰি গান গোৱাৰ বাহিৰে আন চিত্ৰ কমেই দেখা যায়। ভাৰতৰ তুলনাত আমাৰ নাৰী সমাজ আধুনিক শিক্ষাত পিছপৰা (পুৰুষ সমাজো); কিন্তু গৌৰৱময় উন্নত সাংস্কৃতিক জীৱনধাৰাৰ অধিকাৰী। সময়ৰ সোঁতত বহুত সলনি হৈছে। গাঁৱৰ সমাজ জীৱনো দ্ৰুত সলনিৰ পথত। শিক্ষাৰ প্ৰসাৰৰ লগে লগে পুৰুষৰ কৰ্মক্ষেত্ৰত

সমানে ছোৱালী আগবাঢ়িছে - ইঞ্জিনীয়াৰিং, টেকন'লজি আদি বিষয়লৈকে। উচ্চখাপৰ দায়িত্বপূৰ্ণ বিষয়ত অধিষ্ঠিত হৈছে, মন্ত্ৰী-মুখ্যমন্ত্ৰীও হৈছে।

আমাৰ সাহিত্যৰ ক্ষেত্ৰতো এক নতুন উখল-মাখলৰ সৃষ্টি হৈছে। 'লেখিকা সভা' আৰু 'লেখিকা সমাৱোহ' - দুটা সাহিত্য সভা গঠিত হৈছে, 'স্মৃতিগ্ৰন্থ' আদিৰ প্ৰকাশৰ উপৰিও দুখন মহিলা আলোচনী ওলাইছে।

নাৰী মনৰ স্বাভাৱিক প্ৰকাশ বিশেষকৈ তিনিগৰাকী বিখ্যাত লেখিকাৰ উপন্যাসত পোৱা যায় ঃ সাহিত্য অকাডেমীৰ বঁটা লাভ কৰোঁতা ড° শ্ৰীমতী মামণি ৰয়চম গোস্বামী, শ্ৰীমতী নিৰুপমা ৰৱগোহাঞি, শ্ৰীমতী প্ৰবীনা শইকীয়া আৰু পিছৰসকলৰ ভিতৰত ড° নীলিমা শৰ্মা, অৰুপাডেকা পটঙ্গীয়া আদিৰ লেখাতো নাৰী মনৰ প্ৰকাশ ঘটিছে। শ্ৰীযুতা স্নেহ দেৱী আগৰ চামৰে প্ৰসিদ্ধা লেখিকা। ডাঃ দীপালী দত্তৰ নাম সুকীয়াকৈ উল্লেখ কৰিবলগীয়া এই কাৰণেই যে তেখেতে মনোবিজ্ঞান সম্পৰ্কীয় আলোচনা গ্ৰন্থ, প্ৰবন্ধ লিখাৰ উপৰিও মনোবৈজ্ঞানিক বিশ্লেষণযুক্ত বাস্তৱ কাহিনীৰে এই দিশত অৰিহণা বঢ়াইছে।

কবিতাৰ ক্ষেত্ৰতো আগশাৰীৰ মহিলা লেখিকাই সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰিছে। ড° নিৰ্মলপ্ৰভা ৰৱদলৈ শ্ৰেষ্ঠা কবি, শিশু সাহিত্যিকা, গীত ৰচয়িত্ৰী আৰু চিন্তাশীল প্ৰবন্ধ, গ্ৰন্থ আদিৰ ৰচয়িত্ৰী। ড° ৰৱদলৈয়ে কবিতাত সাহিত্য অকাডেমীৰ বঁটা লাভ কৰাৰ উপৰিও অসম তথা ভাৰতৰ বাহিৰতো আন্তৰ্জাতিক সভা-সমিতিৰ যোগেদি খ্যাতি অৰ্জন কৰি আমাৰ গৌৰৱ বঢ়াইছে। অধ্যাপিকা ড° লক্ষ্মীৰা দাস কবি, আৰু গীত ৰচয়িত্ৰী। বিদুষী মহিলা শ্ৰীমতী নীলিমা দত্ত কবিও। এইসকলৰ উপৰিও আৰু কেবাগৰাকীও সম্ভাৱনাপূৰ্ণ লেখিকাই আমাৰ ভাষা-সাহিত্য সমৃদ্ধ কৰিছে।

চিন্তাপ্ৰধান মৌলিক ৰচনাইহে সাহিত্যৰ ভেটি সুদৃঢ় কৰে আৰু সৃষ্টিমূলক ৰচনাই তাৰ ওপৰত সৌধ ৰচনা কৰে। ডক্‌টৰেটৰ কাৰণে লিখা বহু থেচিছ অপ্ৰকাশিত- সেইবিলাকৰ বিষয়বস্তুৱে অসমীয়া মহাভাৰত, ৰামায়ণ আৰু শ্ৰীশংকৰদেৱৰ সমগ্ৰ ৰচনাকো সামৰিছে। অন্যান্য বিষয়সমূহো আছেই। সেইবিলাকৰ বা তেনে আন গৱেষণা গ্ৰন্থৰ প্ৰকাশ হ'লে আমাৰ সাহিত্যৰ সংবাদ আনে জানিবলৈ সুযোগ পাব। আমাৰ গৱেষণাৰ ক্ষেত্ৰখন এতিয়াও কিমান অনাবাদী হৈ আছে, তাৰ প্ৰমাণ 'আজিৰ অসম' কাকতত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ 'ঊনবিংশ শতিকাৰ অসম-সংবাদ' আলোচনা লানিয়েই দিছে।

শ্ৰদ্ধেয় ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ ৰামায়ণ সাহিত্যৰ বিষয়ে কৰা বিস্তৃত অধ্যয়ন যুক্ত গ্ৰন্থই প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰিছে। ইতিমধ্যে অধ্যাপিকা কেশদা মহন্তৰ "অসমীয়া ৰামায়ণী সাহিত্য কথাবস্তুৰ আঁতি-গুৰি" প্ৰকাশিত হৈছে।

শ্ৰীযুত বাপচন্দ্ৰ মহন্তই "নাম-ঘোষা তত্ত্বদৰ্শন" আদিৰ দৰে গভীৰ চিন্তা-চৰ্চামূলক গ্ৰন্থ, শ্ৰীশংকৰদেৱৰ বিশ্লেষণাত্মক জীৱনী সাহিত্য সম্পৰ্কীয় আলোচনামূলক গ্ৰন্থ আগবঢ়াই সাহিত্যৰ চিন্তন-মননৰ ক্ষেত্ৰখন সমৃদ্ধ কৰিছে। পূজ্যপাদ শ্ৰীশ্ৰীকৃষ্ণানন্দ ব্ৰহ্মচাৰী প্ৰভুৱে নাম-ঘোষাৰ টীকা ৰচনা কৰি মহামূল্যবান অৰিহণা (নাম-ঘোষা ভাষামৃত) আগবঢ়াইছে। গীতাৰ বিষয়েও তেখেতে ব্যাখ্যামূলক গ্ৰন্থ ৰচনা কৰিছে। সকলোফালৰপৰাই তেখেত এজন আদৰ্শ পুৰুষ। কবি-সমালোচক, অসমীয়া সাহিত্যৰ অন্যতম গুৰিয়াল ড° মহেন্দ্ৰ ৰৱাদেৱৰ "গীতা"ৰ পদ-ভাঙনিয়ে আজিৰ কবি সাহিত্যিকসকলকো অনুপ্ৰাণিত কৰিব বুলি আশা কৰিব পাৰোঁ। এই পদ ভাঙনিৰ যোগেদি গোবিন্দ মিশ্ৰৰ পিছতে তেখেতৰ নাম আৰু স্থান ৰ'ল।

ৰামধেনু যুগৰ আৰম্ভণিতে এনে ধাৰণা হৈছিল যে এই নতুন চামৰ লেখকসকলৰ বহুতেই কিজানি কালাপাহাৰৰ ভূমিকা ল'ৱগৈ। ৰামধেনুৰ পিছৰসকলক আৰু উগ্ৰ যেন লাগিছিল। এইসকলৰ বহুতেই পুৰণি সাহিত্যৰ প্ৰতি বা আমাৰ পৰম্পৰাৰ প্ৰতি আগ্ৰহী নহ'ব বুলিয়েই আমাৰ কোনো কোনোৰ ধাৰণা হৈছিল। কিন্তু এই ধাৰণা অমূলক আছিল বুলিয়েই ক'ব লাগিব। কিয়নো দেখিবলৈ পোৱা গ'ল যে এইসকল লেখকে ৰমন্যাস যুগৰ কবি-সাহিত্যিকসকলৰ নৱ-মূল্যায়নৰ চেষ্টা কৰিলে আৰু আমাৰ বৈষ্ণৱ সাহিত্যকো নতুন দৃষ্টিভঙ্গীৰে, বিশেষকৈ আৰ্থ-সামাজিক মানসিকতাৰ পটভূমিত বিচাৰ কৰাত চেষ্টিত হ'ল। এইসকলৰ ভিতৰৰে ড° হীৰেণ গোহাঁই ডাঙৰীয়াৰ মৌলিক চিন্তাপ্ৰসূত লেখাসমূহে আমাৰলেখক আৰু পঢ়ুৱৈ সমাজৰ মনৰ দিগন্ত বহলাইছে। ড° গোহাঁয়ে অসমৰ যোৱা সংকটৰ কালত বাহিৰৰ কাকতৰ মাধ্যমত অসমৰ শুদ্ধ ছবি এখন দাঙি ধৰিছিল। ড° শিৱনাথ বৰ্মণ দেৱৰ নামো উল্লেখযোগ্য।

অৱশ্যে বেজবৰুৱা, ড° কাকতিদেৱৰ দ্বাৰা প্ৰদৰ্শিত পথেদি আগবাঢ়ি যোৱাসকলৰ ভিতৰত ড° নেওগ আৰু ড° শৰ্মা ডাঙৰীয়াৰ অৱদান সৰহ। নৱমূল্যায়নৰ ক্ষেত্ৰত বেজবৰুৱাদেৱৰ পিছতে ড° নেওগদেৱৰ স্থান। তেখেতে ইংৰাজী ভাষাত লিখা বৈষ্ণৱ সাহিত্য-সংস্কৃতি বিষয়ক গ্ৰন্থসমূহে অনা-অসমীয়া পাঠকক এই বিষয়ে জনাৰ সুবিধা দিছে। শ্ৰীনৰাকণ বৰ্মাই হিন্দী ভাষালৈ "কীৰ্তন" পুথিৰ ভাঙনি কৰিছে। তেখেত আমাৰ শলাগৰ পাত্ৰ।

ড° কাকতি ডাঙৰীয়াৰ দিনৰপৰা আৰম্ভ কৰি সাম্প্ৰতিক কাললৈকে ভালেকেইজন চিন্তাশীল সাহিত্যিকে আৰু পণ্ডিত-গৱেষকে আমাৰ চিন্তা-চৰ্চাৰ জগতখন সমৃদ্ধ কৰিছে। প্ৰাচীন-অৰ্বাচীন সাহিত্যকৰ্মৰপৰা ধৰি, শিল্পকলা, পুৰাতত্ত্ব, মূৰ্তি-চিত্ৰকলা, সংগীত-নৃত্য আদি সকলো দিশেই মননশীল লেখাই সামৰি লৈছে। সেয়ে হ'লেও এই কথা কোৱা নাই যে এইবিলাক ক্ষেত্ৰত আমাৰ আৰু নতুনকৈ কৰিবলগীয়া কাম নাই। সাহিত্য-কলা সঙ্গীত এই সকলোৰে নান্দনিক মূল্যৰ বিচাৰ সমাজ পৰিবৰ্তনৰ লগে লগে ন ন ৰূপত হ'ব পাৰে আৰু ইতিপূৰ্বে আলোচিত কলাকৃতি আৰু সাহিত্যত নতুনকৈ আলোকপাত কৰাৰো থল থাকিব। অথবা থল ওলাই থাকিব।

পুৰাতাত্ত্বিক সম্পদত ভাৰতৰ আন চহকী ৰাজ্যৰ দৰেই অসমো চহকী। এই সম্পদবোৰ ধৰ্ম-কেন্দ্ৰিক হ'লেও আৰু ধৰ্মীয় মূৰ্তিতত্ত্বৰ দিশৰপৰা প্ৰাচীন ভাস্কৰ্যৰ বিশ্লেষণ সাধাৰণতে কৰা হ'লেও এইবোৰৰ সামাজিক আৰু নৃতাত্ত্বিক প্ৰমূল্যসমূহ অস্বীকাৰ কৰিব নোৱাৰি। প্ৰখ্যাত পুৰাতত্ত্ববিদ সাংখালিয়াৰ দৰে পণ্ডিতে আমবাৰীৰ সম্পদসমূহৰ জাৰিয়তে প্ৰাচীন অসমৰ সভ্যতাৰ বিষয়ে নতুন দিশ একোটা পাবপৰাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে। পদ্ধতিগত অনুসন্ধানৰ জৰিয়তে হয়তো পুৰণি ব্ৰহ্মপুত্ৰ সভ্যতাৰ বিষয়ে নতুন পোহৰ পেলাব পৰা হ'ব।

অসমৰ বৰ্ণাঢ্য লোক-সংস্কৃতিৰ পথাৰখনো বিচিত্ৰ। বিভিন্ন ভাষিক-সাংস্কৃতিক জাতি-গোষ্ঠীৰ জীৱন-ধাৰা, চিন্তা, অভিজ্ঞতা আৰু ৰুচিৰ বিষয়ে সঠিক কথা ক'বলৈ প্ৰচুৰ সাংস্কৃতিক উপকৰণ পৰি আছে। ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° স্ফুল্ল দত্ত গোস্বামী, ড° বীৰেন্দ্ৰনাথ দত্ত, ড° লীলা গগৈ, ড° নৱেন কলিতা আদি পণ্ডিতসকলে ভালেখিনি সম্পদ পোহৰলৈ আনিছে। বহুসময়ত সম্পদসমূহৰ সংৰক্ষণকে জন-সংস্কৃতি চৰ্চাৰ মূল কথা বুলি ভবা হয় যদিও দৰাচলতে জাতিৰ পৰিবৰ্তনশীল জীৱনধাৰাৰ লগে লগে ইয়াক বিৱৰ্তনৰ পথেৰে নিব পাৰিলেহে জাতিটোৰ অতীত আৰু বৰ্তমানৰ মাজৰ নভগা-নিছিগা যোগসূত্ৰডাল ধৰিবপৰা হ'ব। সাংস্কৃতিক সম্পদৰ সংৰক্ষণেৰে এটা যাদুঘৰ হ'ব হয়তো, কিন্তু জাতিটোৰ গতিশীল, সৃজনশীল জীৱনধাৰা অব্যাহত থাকিব বুলি ক'ব নোৱাৰি।

সম্প্ৰতিক কালত অসমত চিত্ৰ-ভাস্কৰ্য চৰ্চাৰ এক বিশেষ উচ্ছাস দেখিবলৈ পোৱা গৈছে। জে, জে, স্কুল অব্ আৰ্ট, শান্তিনিকেতন আদিৰ পৰাও ভালেকেইজন কৃতী শিল্পী ওলাই আহিছে। অৰ্বাচীন ধাৰাৰ সংগঠনৰ (Construction) ধাৰাত ভাস্কৰ্য ৰচনা কৰাও হৈছে। কিন্তু মন কৰিবলগীয়া কথা হৈছে, এইবোৰ দিশত আমাৰ নিজাকৈ শৈলী এটা প্ৰকাশ পাইছেনে? এইটো ঠিক যে আজিৰ দিনত অতি সংক্ষিপ্ত হৈ পৰা পৃথিবীখনত আন্তৰ্জাতিক প্ৰভাৱৰ কথা বাদ দি চলিব নোৱাৰি। এই প্ৰভাৱবোৰ পাখি বা ডেউকাহে, উৰিব পাৰি। কিন্তু উৰিব পাৰিলেই নহ'ব, নিজৰ মাটিত ঘাই শিপাৰ নখে খামুচি ধৰি থকাও হ'ব লাগিব।

নৃত্য-কলা চৰ্চাৰ প্ৰতি আগ্ৰহ বাঢ়ি অহাটো শুভ লক্ষণ। অৱশ্যে নিজৰ অসমৰ প্ৰতিখন গাঁৱতেই (বৈষ্ণৱ ধৰ্মাৱলম্বী) আৰু প্ৰায় প্ৰতিখন সত্ৰতে শঙ্কৰী নৃত্য-কলাৰ চৰ্চা কম-বেছি পৰিমাণে চলি আহিছে। স্বৰ্গীয় গহন চন্দ্ৰ গোস্বামী প্ৰভু, স্বৰ্গীয় গিৰিকান্ত মহন্ত আদিয়ে স্বৰাজোত্তৰ অসমত নৃত্য-কলাৰ প্ৰসাৰ, প্ৰচাৰ আৰু প্ৰশিক্ষণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা কাৰো অবিদিত নহয়। ঠাযে ঠাযে কমলাবাৰী সত্ৰৰপৰা উপযুক্ত প্ৰশিক্ষক নি ৰৱগীত, নৃত্য-কলা, ভাওনাৰ প্ৰশিক্ষণৰ ব্যৱস্থাও কোনো কোনোৱে কৰিছে। বৰ্তমান অসমৰ বিভিন্ন ঠাইত এনে চৰ্চা-কেন্দ্ৰ স্থাপন কৰা আৰু চলি থকাৰ বাতৰিয়ে উৎসাহ দিয়ে। শ্ৰীমতী পুষ্পা ভূঞা, শ্ৰীমতী ইন্দিৰা পি পি ৰৱা, শ্ৰীমতী শুভলক্ষ্মী বৰুৱা আদি সুযোগ্যা জীয়ৰীসকলে একানপতীয়াকৈ ধ্ৰুপদী আৰু সৃজনীশীল নৃত্য-চৰ্চা কৰি দেশ-বিদেশত আমাৰ গৌৰৱ বঢ়াইছে। প্ৰাচীন কামৰূপী নৃত্য-সম্ভৰ পুনৰুজ্জীবনৰ চেষ্টা কৰিব নোৱাৰিনে? আমাৰ "শঙ্কৰদেৱ কলাকেন্দ্ৰ" স্থাপন হলুৱা নৃত্য-কলা চৰ্চাৰ এক শুভ আৰম্ভণি। বিভিন্ন জনজাতীয় নৃত্য-কলা, শঙ্কৰী নৃত্য-কলা, ভাৰতীয় নৃত্য-কলা, বিশেষকৈ দক্ষিণ-ভাৰতীয় নৃত্য-কলা চৰ্চাৰো সুব্যৱস্থা থাকিলে ভৱিষ্যতৰ ল'ৰা-ছোৱালীয়ে

প্রেৰণা পাব। শঙ্কৰী কলা-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত এক যুগান্তকাৰী পৰিকল্পনাৰ কামত হাত দিছে এজন উদ্যোগী পুৰুষ শ্ৰীসুৰেন্দ্ৰনাথ ৰবাদেৱে। 'ৰাষ্ট্ৰীয় শঙ্কৰদেৱ বিকাশ সমাজ" নামৰ এটি অনুষ্ঠান স্থাপন কৰি "শঙ্কৰদেৱ উদ্যান এখন গঢ়ি তোলাৰ এক বৃহৎ আঁচনি হাতত লৈছে। বালিসত্ৰৰ পণ্ডিত, অধ্যাপক ড° কেশৱানন্দ দেৱগোস্বামীৰ হাতত থকা মহামূল্যবান জাতীয় সম্পদ স্বৰূপ ৰঙীন "চিত্ৰভাগৱত" পুথিখন তেখেতেই ছপাবলৈ সাহ কৰিছে। প্ৰায় ডেৰকুৰি বছৰৰ আগতেই স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱাদেৱেও চিত্ৰভাগৱত একক প্ৰচেষ্টাৰে ছপা কৰিছিল, কিন্তু সম্পূৰ্ণ ৰঙীন নাছিল। ভগৱন্তেই তেখেতক কৃপা কৰক। আমাৰ অন্যান্য সচিত্ৰ পুথি, "ৰাঙলী কীৰ্তন", "শঙ্খচূড় বধ", "কুমৰহৰণ", "পাৰিজাতহৰণ" আদি পুথিৰ প্ৰকাশক নোলাবনে?

ৰাতৰি-কাকত আলোচনীৰ ক্ষেত্ৰত আমাৰ সাহিত্যলৈ লুইতৰ ঢল অহা যেন লাগিছে। ব্যক্তিগতভাবে চেমনীয়া অৱস্থাৰপৰাই মই হীনমন্যতাত ভুগি আহিছোঁ। তেতিয়াৰ লেখাবিলাক পঢ়ি মই চাৰিওফালে হতাশা, অপমৃত্যুৰ ছবি এখনকেই দেখি আহিলোঁ। আনকি কলেজীয়া জীৱনতো মই অকলেই নানা মানসিক যন্ত্ৰণাত দিনৰ পিছত দিন কটাইছিলোঁ। যেতিয়া 'দৈনিক অসমীয়া' ওলাল, মই অকলেই আনন্দ লাভ কৰিছিলোঁ। 'অসমীয়া' মৰোঁতে আকৌ দুখ। সেইসময়ত মই "ৰংঘৰ"ত কাম কৰিছিলোঁ। স্বৰ্গীয় ইন্দ্ৰকমল বেজবৰুৱাৰ সহায়ত ৰামধেনু প্ৰেছ প্ৰতিষ্ঠা হ'ল আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ চেষ্টাত "নতুন অসমীয়া" ওলাল। শ্ৰদ্ধেয় বৰুৱাদেৱে এদিন কাৰোবাক কোৱা শুনিলোঁ, "সকলোৱে কয় 'অসমীয়া' মৰিল, অসমীয়া কিয় মৰিব, আমি 'নতুন অসমীয়া' উলিয়াম।" সি যি হওক, বৰ্তমান আমাৰ দৈনিক অসম, দৈনিক জনমভূমি, নতুন দৈনিক, আজিৰ অসম, চাৰিখন অসমীয়া আৰু তিনিখন ইংৰাজী দৈনিক, ৰ-ৰবাই চলিছে (দি চেণ্টিনেল, দি আচাম ট্ৰিবিউন , দি আচাম এ'প্ৰেছ)অসম বাণী, অগ্রদূত, সাদিনীয়া জনমভূমি, ৰৰপীঠ, মোজাহিদ , গণতন্ত্ৰ, নীলাচল, নাগৰিক, সাদিন, মহাজাতি আদি ডেৰকুৰিৰ ওপৰ বাতৰি কাকত (সাদিনীয়া, তিনিদিনীয়াও) আৰু প্ৰান্তিক, ৰূপকাৰ, ৰূপান্তৰ, সূত্ৰধাৰ, কলীয়াভোমোৰা, শতৰূপা (মহিলাৰ), অভিৰুচি, দূত, কি ফুলে ফুলালা, শিহৰণ, অনুসন্ধান আদি মাহেকীয়া পখেকীয়া, আলোচনী-বার্তালোচনীৰ প্ৰকাশে আমাৰ আলোচনী-বাতৰিৰ পথাৰখন লহপহীয়া কৰি তুলিছে। অলপতে গুৱাহাটীত এখননতুন কাকত "অৱতাৰ"ৰ শুভ উদ্বোধন হৈ গ'ল। ধর্মীয় সমন্বয় সাধন আৰু ধর্মীয় সাহিত্য-সংস্কৃতিৰ চর্চাৰ মহান উদ্দেশ্য লৈ এই কাকত প্ৰতিষ্ঠা কৰা হৈছে বুলি প্ৰকাশকে জনাইছে। 'ভৱন'চ্ জার্ণেল', 'আর্যশাস্ত্র' (বঙলা) আদিৰ লেখীয়াকৈ এইখনো এখন মূল্যবান আলোচনী হ'ব বুলি আমাৰ আশা।

যোৱা আন্দোলনৰ সময়ছোৱাত, অগ্রদূত, অসমবাণী, জনমভূমি, দৈনিক অসমে কি বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল, সেয়া সৌ সিদিনাৰ কথা। জাতীয় বৃহৎ স্বার্থৰ কাৰণে যেতিয়ালৈকে আমাৰ কাকতসমূহে আত্মনিয়োগ কৰি থাকিব, তেতিয়ালৈকে তেনে কাকত আমাৰ জাতীয় কাকত ৰূপেই পৰিগণিত হ'ব।

এই কাকতসমূহৰ ৰঙীন পৃষ্ঠা, চিত্ৰ আৰু কোনো কাকত সম্পূৰ্ণ অফ্‌ছেট ছপাশালত ছপা হোৱাৰ কাৰণে আমি দুগুণে গৌৰৱান্বিত হৈছোঁ। আমাৰ ছপা শিল্পই হঠাৎ গা কৰি উঠাটো জাতিৰ ভবিষ্যতৰ কাৰণেও আশাপ্রদ হৈছে।

ৰাতৰি কাকতৰ প্ৰসাৰৰ লগে লগে সংবাদপত্রধর্মী ৰচনাই প্ৰসাৰতা লাভ কৰিছে আৰু এচাম বাতৰিযোগনিয়াৰৰ এনে ৰচনাত ভাষাই নিজৰ কালিকা ৰক্ষা কৰিও প্ৰাঞ্জল, দ্রুত গতিশীলতা লাভ কৰিছে। অৱশ্যে বহু সাহিত্যিকৰ ভাষা ইংৰাজী প্ৰভাৱত এনে নতুন ঠাঁচত গঢ়ি উঠাও দেখিবলৈ পাইছোঁ।

অনাতাঁৰ কেন্দ্রই, বিশেষকৈ গুৱাহাটী অনাতাঁৰ কেন্দ্রই যোৱা দুকুৰি বছৰৰ ওপৰকাল আমাৰ সাহিত্য-সংস্কৃতিৰ জগতখনলৈ সাধ্যমতে অবিহণা যোগাই আহিছে। এসময়ৰ কেন্দ্রই আভুৰা-ভৰা ষ্টেচন এটা দিছিল যদিও সেই সময়ৰ ৰৱেণ্য পুৰুষসকলৰ সহযোগ এই কেন্দ্রই পাইছিল। চীনৰ আক্রমণৰ পিছৰপৰা বহুতো ক্ষেত্ৰত কেন্দ্রৰ সুবুদ্ধিৰ উদয় হোৱাত (তিতা-কেঁহা অভিজ্ঞতাৰ পিছত) এই কেন্দ্রক শক্তিশালী কৰে, আৰু ডিব্রুগড়তো আন এটা কেন্দ্র স্থাপন কৰা হয়। পিছত শিলচৰতো আন এটা কেন্দ্র স্থাপন কৰিলেও তাত অসমীয়া ভাষাৰ প্রবেশ হোৱাই নাই। অনাতাঁৰ নাটক ভাৰতীয় সাহিত্যৰে নতুন সৃষ্টি। অসমৰ অনাতাঁৰ কেন্দ্রৰ যোগেদি, গীত-মাত-কথিকা, খেতি-বাতি, বিজ্ঞান, অকণিৰ মেল, আইদেউৰ বুলনি আদি অনুষ্ঠানৰ প্রচাৰ জনপ্রিয় হৈ

পৰে। উল্লেখনীয়ভাৱে সমৃদ্ধ হৈ পৰিছে আমাৰ অনাতাঁৰ নাট্য সাহিত্য। অনাতাঁৰ কেন্দ্ৰৰ এজন ওখ খাপৰ বিষয়া, লব্ধ-প্ৰতিষ্ঠ নাট্যকাৰ শ্ৰীঅৰুণ শৰ্মাৰ দ্বাৰা সম্পাদিত হৈ এনেকৈ প্ৰচাৰিত নাটৰ সংকলন "অনাতাঁৰ নাট্যৱলী" দুটা খণ্ডত ওলাইছে। অন্যান্য আলোচনা, নীতি-বচন, কৃষি সম্পৰ্কীয় আলোচনাৰ সংকলন ওলালে আমাৰ সাহিত্য চহকী হ'ব।

গীত-মাতৰ ক্ষেত্ৰত কিছু কথা ক'বলগীয়া আছে। নতুন নতুন গীতিকাৰ আৰু শিল্পীক উৎসাহিত কৰিব লাগিবই, তথাপি কণ্ঠ পৰীক্ষাত এটা নিৰ্দিষ্ট মান নিশ্চয় কৰিব লাগিব। গীতৰ বাছনিৰ ক্ষেত্ৰতো গীতৰ বিষয়বস্তু, সৌন্দৰ্যৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। মৌখিক গীত-পদবিলাক সম্পূৰ্ণ নিভাঁজ সুৰত প্ৰচাৰ কৰিব লাগিব। এই সুৰবিলাক আমাৰ গাঁওবিলাকৰপৰাও হেৰাই যোৱাৰ উপক্ৰম।

লোকগীতৰ নামত শঙ্কৰ-মাধৱদেৱৰ ৰচনা চলাই দিয়া গায়কসকলক কঠোৰভাৱে নিয়ন্ত্ৰিত কৰা উচিত। এনে কাৰ্য বিৱক্তিকৰ আৰু আপত্তিজনক।

ব্যাকৰণ আৰু উচ্চাৰণৰ শুদ্ধতালৈ (বিশেষকৈ ঘোষক আৰু বাতৰি দিওঁতাৰ ক্ষেত্ৰত) কেন্দ্ৰই বিশেষ চকু ৰখা উচিত। য কাৰ যুক্ত আৰু ৰেফ্ যুক্ত শব্দৰ প্ৰায়ে অশুদ্ধ উচ্চাৰণ শুনিবলৈ পোৱা যায়। আগতীয়া প্ৰশিক্ষণ, কণ্ঠস্বৰ আদিৰ চৰ্চাৰ নিয়মীয়া ব্যৱস্থা ৰখা উচিত। দূৰদৰ্শনৰ বিজ্ঞাপনৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ ৰাখিব লাগে।

বোলছবি জগতখনো আমাৰ উৎসাহজনক হৈ উঠিছিল যদিও দূৰদৰ্শনে এই জগতখনত প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰিছেই। এনেয়ে আমাৰ চিনেমাঘৰৰ সংখ্যা কম, তাতে অসমীয়া বোলছবিৰ দৰ্শকৰ সংখ্যা আৰু কম। সীমিত সা-সুবিধাৰ মাজতো আমাৰ কেইবাজনো নিৰ্দেশকে সুনাম অৰ্জন কৰিছে। সেইসকলৰ ভিতৰত ড° ভূপেন হাজৰিকা, ড° ভবেন্দ্ৰনাথ শইকীয়া, জাহ্নু বৰুৱা, পদুম বৰুৱা, চাৰুকমল হাজৰিকাৰ নাম উল্লেখনীয়। অভিনয়ৰ ক্ষেত্ৰত আমাৰ বিভিন্নগৰকী অভিনেতা-অভিনেত্ৰীয়ে সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰিছে। শ্ৰীইন্দ্ৰ বনিয়াই অলপতে আন্তৰ্জাতিক সম্মানো কঢ়িয়াই আনিছে।

প্ৰযোজকসকলৰ দৃষ্টিভঙ্গীৰ ওপৰত প্ৰকৃততে চিনেমাৰ উন্নতি নিৰ্ভৰ কৰে। আমাৰ যিসকল প্ৰযোজক সুস্থ চলচ্চিত্ৰ নিৰ্মাণৰ উদ্দেশ্যে আগবাঢ়ি আহিছে, সেইসকল আমাৰ সকলোৰে শলাগৰ পাত্ৰ।

সাম্প্ৰতিক কালৰ সৃষ্টিমূলক সাহিত্যৰ অৱস্থা উৎসাহজনকনে? যোৱা দহ বছৰত আমাৰ ওপৰত আমাৰ চৰকাৰ আৰু চৰকাৰৰ উচটনিত যি মানৱদিনীয়া অত্যাচাৰ গ'ল, শ শ ডেকা ল'ৰাই প্ৰাণ আহুতি দিলে, বাতৰি কাকতৰ প্ৰতিটো বাতৰিৰপৰাই যেতিয়া পোৱা মণ্ডহৰ গোন্ধ ওলাবলৈ ধৰিলে. তেতিয়া কোনো কোনোৱে কলমৰ নিফ্‌টো ওলোটাই লৈ লিখিবলৈ আৰম্ভ কৰিলে, কোনোৱেবা বিৱেককে পুৰি খোৱা বুলি সান্ত্বনা ল'লে, - তেতিয়া আমাৰ সৃষ্টিৰ সোঁত বন্ধ হৈ যাবই। যোৱা দহ বছৰ সৃষ্টিধৰ্মী সাহিত্যৰ দুৰ্যোগৰ দিন। তথাপি আমাৰ সাহিত্যই যিখিনি উন্নতি কৰিছে, সি উৎসাহজনক নহ'লেও নিৰাশাজনক নহয় নিশ্চয়। এইক্ষেত্ৰত প্ৰথমেই চকুত পৰে নাট্য আন্দোলনৰ এক শক্তিশালী ৰূপ। নামঘৰ আৰু সত্ৰত নিয়মিত ভাওনা কোনো উপলক্ষ্য লৈ চলি আহিলেও যোৱা দুটা দশকত প্ৰশিক্ষণৰ ব্যৱস্থা, অনাচৰকাৰীভাৱে আৰু বৰ্তমান চৰকাৰীভাৱেও চলিছে। ভাওনা বা অঙ্কীয়া নাটৰ (?) অভিনয়ক লোক-কলা বুলি যাতে ভুল প্ৰচাৰ কৰা নহয়, আৰু লোক ৰঞ্জন কৰিবলৈ গৈ ভাওনাৰ স্বৰূপক কোনেও যাতে বিকৃত নকৰে, সেই দিশত সকলো সতৰ্ক হ'ব লাগিব। অলপতে দূৰদৰ্শনত জাপানী প্ৰাচীন নৃত্যকলাৰ অভিনয় যিসকলে চাইছে তেখেতসকলে বুজিব পাৰিছে যে আধুনিক স্পৰ্শ দি জাপানী ৰাইজে নিজৰ নৃত্য-নাট্যক বিকৃত কৰাৰ চেষ্টা কৰা নাই। 'অঙ্কীয়া বাৰ নাট'ৰ অভিনয় লোক সদৃশ কৰিবলৈ যত্ন নকৰি এই গাঁথনিতে নতুন নতুন বিষয়বস্তু দি (সামাজিক, বুৰঞ্জীমূলক) পৰীক্ষামূলক ভাওনাৰ কাৰনেহে চেষ্টা চলাব লাগে।

সম্প্ৰতি আধুনিক একাঙ্কিকা নাটৰ ব্যাপক প্ৰসাৰৰ যোগেদি নতুন নতুন নাট্যকাৰ, পৰিচালক, অভিনেতাক উৎসাহ দিয়াৰ উপৰিও কলা-কৌশলগত পৰীক্ষা চলাটোও শুভ লক্ষণ। সৰ্বশ্ৰী ড° ভবেন্দ্ৰনাথ শইকীয়া, আলি হাইদৰ, দুলাল বয়, কুলদাকুমাৰ ভট্টাচাৰ্য, মহেন্দ্ৰ বৰঠাকুৰ, কৰুণা ডেকা আদি নাট্যকাৰ আৰু পৰিচালক হিচাপে সৰ্ব্বৱহী হৈছে।

ভাওনা প্ৰসঙ্গতে অসমৰ নাট্য পূৰ্ব অনুষ্ঠান কামৰূপৰ ঢুলীয়া ভাওনা, উজনিৰ ওজা ঢুলীয়া অনুষ্ঠান আৰু মধ্য অসমৰ ওজাপালি অনুষ্ঠানৰ কথা মনলৈ আহিল। দুয়োটা অনুষ্ঠানেই বাইজৰ পৃষ্ঠপোষকতা পাব লাগে। বিহুমেলা, আন এনে সাংস্কৃতিক

অনুষ্ঠানত এখেতসকলক উৎসাহিত কৰাৰ ব্যৱস্থা হ'ব লাগে।

শ্ৰীগোপী মেধি ডাঙৰীয়াই "ঢোলবাদ্য আৰু তাল", "ওজাপালি" আদি পুথি ৰচনা কৰি এনে চৰ্চাত লাগি থকা বুলি জানিব পাৰি আনন্দ পাইছোঁ। অধ্যাপক নৱেন ৰৱদলৈদেৱেও এই বিষয়ৰ চিন্তা-চৰ্চা কৰি কাকতত আলোচনা আদি প্ৰকাশ কৰা চকুত পৰিছে।

কিন্তু জনসমাজত বেছিকৈ হেন্দোলনি তুলিছে আমাৰ ভ্ৰাম্যমান নাট গোষ্ঠীসমূহে। প্ৰায় ডেকা বয়সলৈকে মই অসমীয়া চাৰ্কাচ আৰু এনে নাট্যগোষ্ঠী গঠন সম্পৰ্কত হতাশ হৈয়েই আছিলোঁ। চাৰ্কাচ পাৰ্টি ওলাল আৰু মৰিল। কিন্তু যোৱা তিনিটামান দশকতে ভ্ৰাম্যমান নাট্যগোষ্ঠীৰ সংখ্যা আৰু কৃতিত্বই নাট্য-সাহিত্য, নাট্য-মোদী ৰাইজ, আনকি আমাৰ জাতীয় চেতনাতো আলোড়ন তুলি আত্মবিশ্বাসো আনি দিছে। আমি সহ অভিনয় কল্পনা কৰিব নোৱাৰা সময়তো ১৯৩১ চনতে এই ডুমডুমাতে "অসম কোহিনুৰ অপেৰা পাৰ্টি"য়ে এজনী ছোৱালীক এটি স্ত্ৰী চৰিত্ৰ ৰূপায়িত কৰিবলৈ দিছিল। নটৰাজ, আৰাধনা, আৰাহন, কহিনুৰ, হেঙুল থিয়েটাৰ আদি সংখ্যাত ডেৰকুৰিৰ ওপৰ ভ্ৰাম্যমান থিয়েটাৰ দলে বহুতো শিল্পীৰ প্ৰতিভা আৰু জীৱিকাৰ সংস্থানো দি আহিছে। সম্প্ৰতি ভ্ৰাম্যমান থিয়েটাৰে চৰকাৰৰ ফালৰপৰাও উৎসাহ পাইছে। ছপা পূৰ্ণাঙ্গ নাটকৰ সংখ্যা কম। এইবিধ সাহিত্যৰ বিক্ৰী কম হোৱাৰ কাৰণেই প্ৰকাশক আগবাঢ়ি নাহে। এনে নাট্যকাৰসকলৰ সাম্প্ৰতিক কেইজনৰ সংখ্যা তাকৰীয়া। সেইসকলৰ ভিতৰত (সৰ্বশ্ৰী) আলি হাইদৰ, হিমেন্দ্ৰ ৰৱঠাকুৰ, মহেন্দ্ৰ ৰৱঠাকুৰ, মুনীন ভূঞা, ৰফিকুল হুচেইন - এইসকলৰ নাম উল্লেখ কৰি থলোঁ। সাংস্কৃতিক সঞ্চালকালয়ে বছৰি আয়োজন কৰা পূৰ্ণাঙ্গ নাট প্ৰতিযোগিতাই এই ক্ষেত্ৰত উৎসাহ আৰু প্ৰেৰণা দিছে।

কবিতাৰ ক্ষেত্ৰতো যে এটা জোৱাৰ আহিছে এই কথা সঘনে হৈ থকা কবি সম্মিলন, 'পান্থ-পাদপ' আদি কবিতাৰ আলোচনী, সৰু সৰু কবিতা পুথিৰ প্ৰকাশ, আলোচনীৰ উপৰিও বাতৰি কাকততো কবিতাৰ স্থান, স্কুল-কলেজ আদিৰ আলোচনীৰ উপৰিও প্ৰাচীৰ পত্ৰিকাৰ প্ৰকাশ, আৰু বিশেষকৈ দুটা কবি সংগঠন ('সদৌ অসম কবি সমাজ', 'সদৌ অসম কবি সম্মিলন') আৰু 'সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি' স্থাপন হোৱাৰ পৰাই প্ৰমাণিত হয়। লব্ধ-প্ৰতিষ্ঠ কবিসকলৰ ভিতৰত, কবিতাত নিজস্ব ধাৰাৰ সৃষ্টি কৰোঁতা কবি অজিৎ বৰুৱা, নীলমণি ফুকন, নৰকান্ত বৰুৱাৰ স্থান আমাৰ সাহিত্যত সুনিৰ্দিষ্ট। বাকী সকলৰ ভিতৰত (সৰ্বশ্ৰী) দীনেশ গোস্বামী, ৰাম গগৈ, নিত্যা দত্ত, বীৰেন ৰৱকটকী, ৰবীন্দ্ৰ ৰৱা, ৰবীন্দ্ৰ সৰকাৰ, সনন্ত তাঁতি, সমীৰ তাঁতি উল্লেখযোগ্য নাম। হৰেকৃষ্ণ ডেকা আৰু বীৰেশ্বৰ বৰুৱাই কবিতা আৰু গল্প উভয়তে নিজৰ স্থান ল'ব পাৰিছে। পিছৰ চামৰ ভিতৰত হীৰেণ ভট্টাচাৰ্যই ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে। বাকীসকলৰ ভিতৰত ৰফিকুল ইছলাম, ৰবীন্দ্ৰ চন্দ্ৰ ৰৱা, চেনিৰাম গগৈ, বিৰিঞ্চি ভট্টাচাৰ্য, প্ৰয়াগ শইকীয়া, শৰৎ ৰৱকটকী, লক্ষেশ্বৰ শৰ্মা সম্ভাৱনাপূৰ্ণ নাম। একেবাৰে নতুন চামৰ লক্ষনীয়সকলৰ বিষয়ে আৰু কবিতাৰ সাম্প্ৰতিক ধাৰাৰ সম্পৰ্কে আমি এইবাৰৰ কবি সম্মিলনীৰ সভাপতি আন এজন লব্ধ-প্ৰতিষ্ঠ কবি-সমালোচক অধ্যাপক হীৰেন্দ্ৰ নাথ দত্তদেৱৰ ভাষণৰ পৰাই জানিব পাৰিম। কাৰ্বি আৰু অসমীয়া দুয়ো ভাষাতে কবিতা লিখি নাম কৰা তৰুণসকল হ'ল (সৰ্বশ্ৰী) ছামচিং হাঞ্চে, লংকাম তেৰণ, ছাৰ এং হাঞ্চে, অৰুণ টেৰণ, পাৰি ৰংপি ("কাৰৰি লামেও আমেই" কাৰ্বি সাহিত্য সভাৰ সভাপতি), হাৰ্ভে কাথাৰ, শেখৰজ্যোতি ইংতি, ভুৱন ৰংহাং আদি। (শ্ৰীযুত লংকাম তেৰণে "কথা-কীৰ্তন" কাৰ্বি ভাষালৈ ভাঙনি কৰিছে।) বড়ো সাহিত্যিকৰ ভিতৰত শ্ৰীনীলকমল ব্ৰহ্ম, শ্ৰীবিছৰাম ব্ৰহ্ম. এইসকলৰ নাম জনাজাত। এই নতুন কবিসকলৰ সৰহ সংখ্যক কবিতাত 'নেতিবাচক' দৃষ্টিভঙ্গী, শব্দ-সৰ্বস্বতা, শ্লোগানধৰ্মিতা আদি সাধাৰণ লক্ষণ চকুত পৰে। ছন্দ বিষয়ৰ পৰীক্ষাও দেখা নাযায়। এওলোকে কঠোৰ পৰিশ্ৰম কৰিলেহে আমি সুফল পাম। এই কবিসকলক বাট দেখুৱাই নিয়া সহানুভূতিশীল সমালোচকৰ প্ৰয়োজন।

সাম্প্ৰতিক কথা সাহিত্যত ৰামধেনু যুগৰ কেইবাজনো লব্ধ-প্ৰতিষ্ঠ লেখক সক্ৰিয় হৈ থকা দেখিবলৈ পাওঁ। (সৰ্বশ্ৰী) আব্দুল মালিক, যোগেশ দাস, মেদিনী চৌধুৰী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, চন্দ্ৰপ্ৰসাদ শইকীয়া, হোমেন ৰৱগোহাঁঞি, শীলভদ্ৰ, নীৰোদ চৌধুৰী আদি এইসকলৰ ভিতৰত। ড° ভবেন্দ্ৰনাথ শইকীয়া, ড° লক্ষ্মীনন্দন ৰৱা আদিয়ে গল্প এৰি উপন্যাসত হাত দিয়াৰ ফলত আমাৰ গল্প সাহিত্যৰ ধাৰাটো ক্ষীণ হৈ পৰিল। পিছৰসকলৰ ভিতৰত অতুলানন্দ গোস্বামী, অপূৰ্ব শৰ্মাই গল্পত

আৰু হৰেকৃষ্ণ ডেকাই গল্প, কবিতা উভয়তে লেখনী চলাই গৈছে। শ্ৰীলক্ষ্যধৰ চৌধুৰীৰ "মানুহ বিচাৰি" চুটি গল্পৰ কলা-কৌশলত লিখা জীয়া জীৱনৰ কাহিনীৰ আকৰ্ষণীয় সংকলন। সাম্প্ৰতিক যুগৰ (সৰ্বশ্ৰী) কুমুদ গোস্বামী, দেৱব্ৰত দাস, ত্ৰৈলোক্য ভট্টাচাৰ্য, অৰুণ গোস্বামী, মদন শৰ্মা, বিৰিঞ্চি মেধি, মনোজ গোস্বামী, ডাঃ পুণ্যধৰ দাস, ফুলেন বৰ্মন আদি সম্ভাৱনাপূৰ্ণ কথা-সাহিত্যিক। ড° হেমন্ত কুমাৰ শৰ্মায়ো গল্প সাহিত্যলৈ অবিহণা আগবঢ়াইছে। মনোজ গোস্বামীয়ে সৌৰভ চলিহা, নগেন শইকীয়া, অপূৰ্ব শৰ্মাৰ গল্পধাৰাটোতে গল্প লিখিবলৈ আৰম্ভ কৰিছিল যদিও সম্প্ৰতি নিজা কৌশল এটা বিচাৰি পোৱা যেন লাগে। চলিহাই আৰম্ভ কৰা এই বিশিষ্ট ধাৰাটোক কোনো কোনোৱে 'চেতনা-ধাৰা' বুলি ক'ব খোজে যদিও মোৰ মতে 'ইলেকট্ৰনৰ' গতি-প্ৰকৃতিৰ লগত সমন্বয় ৰাখি চেতনা-ধাৰাৰ লগত মিলাই চলিহাদেৱে সৃষ্টি কৰা এইটো এটা বিশিষ্ট ধাৰা।

যোৱা আন্দোলনৰ ভেঁটিত গল্প-উপন্যাস কম ওলাইছে বুলি বহুতৰে আপত্তি শুনা যায়। অৱশ্যে প্ৰায় লেখকেই আন্দোলনৰ লগত ঘনিষ্ঠভাৱে জড়িত হোৱাত এনে ক্ষেত্ৰত প্ৰয়োজনীয় অনাসক্তি (detachment) আনিবলৈ টান।

জীৱনী-উপন্যাস চৈয়দ আব্দুল মালিকেই আৰম্ভ কৰিছিল, পিছত (সৰ্বশ্ৰী) মেদিনী চৌধুৰী, ত্ৰৈলোক্য ভট্টাচাৰ্য, কুমুদ গোস্বামী, ক্ষিতি বৰা, আদিয়ে এইশ্ৰেণীৰ উপন্যাসত হাত দিছে। আমাৰ দুজনা মহাপুৰুষক লৈও উপন্যাস লিখিছে চৌধুৰী আৰু মালিকে। শ্ৰীতিলক মজুমদাৰ, পদ্ম বৰকটকী আদি দুই এজনে নাটকো লিখিছে। এইসকলৰ এনে চেষ্টা অৱশ্যে প্ৰশংসনীয়। মহাপুৰুষ দুজনা কলা-গুৰু, কবি-গুৰু, ছন্দ-গুৰু, নাট্য-গুৰু, সমাজ সংস্কাৰক আদি সৰ্বগুণ সম্পন্ন, আৰু সেইফালৰপৰা বেলেগ দৃষ্টিত বিভিন্নজনে তেৱাসকলক বিভিন্ন ৰূপত নিশ্চয় গুৰু মানি সেই সম্পৰ্কে চৰ্চা কৰিব পাৰে। কিন্তু লগতে এই কথাও পাহৰিলে নচলিব যে গুৰু দুজনা এক বিশেষ ধৰ্মৰ প্ৰচাৰকো, লক্ষ লক্ষ লোকে শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰবৰ্তিত ধৰ্মমত গ্ৰহণ কৰি আধ্যাত্মিক শান্তি লাভ কৰি আহিছে। এনে ক্ষেত্ৰত এই দুজনা গুৰুক লৈ কাল্পনিক কোনো ঘটনা বা বৰ্ণনাৰ সৃষ্টি নকৰাই উচিত হ'ব বুলি ভাবোঁ। প্ৰকৃত জীৱন পঞ্জীৰ নাট্যৰূপ দিয়ক, কিন্তু নাটক বা উপন্যাস বুলিলে কল্পনাৰ প্ৰয়োজন থাকিবই। আৰু উচ্চ ঐতিহাসিক কল্পনাৰ অধিকাৰী হোৱা বুলি আমি নিজক ভাবিলেও, ধৰ্মগুৰুসকলক লৈ কোনোধৰণৰ কল্পনাৰ আশ্ৰয় ল'ব নালাগে যাৰ ফলত তেনে ধৰ্মাবলম্বী ৰাইজৰ অনুভূতিক কেতিয়াবা আঘাত দিয়াৰো আশংকা থাকে।

শ্ৰীধীৰেণ বৰঠাকুৰৰ "বাঈ চাহেবা", শ্ৰীপ্ৰদীপ শইকীয়াৰ "ওমৰ খায়াম" জীৱনীমূলক উপন্যাসৰ ক্ষেত্ৰত উল্লেখনীয়।

নতুনসকলৰ ভিতৰত বসন্ত দাস, অশ্বিনী বেজবৰুৱা, চক্ৰেশ শইকীয়া, জয়ন্তমাধৱ বৰা, লোহিত ভঁৰালী, ইন্দ্ৰেশ্বৰ গোস্বামী আদি কেইজনমান উপন্যাস লেখক ওলাইছে। অৱশ্যে বহুত যত্নলৈ ল'বলৈ সাজু হ'ব লাগিব। দুখ-যন্ত্ৰণা সহ্য কৰিব নোৱাৰা, শ্ৰমবিমুখসকল এইখন পথাৰৰপৰা আঁতৰি থকাই ভাল। প্ৰথমে কিন্তু সাহিত্য ক্ষেত্ৰলৈ অহা সকলোৱে ভাষাটো, নিজ ভাষাৰ কালিকাটো ভালদৰে শিকি বুজি ল'ব লাগিব। অন্ততঃ কৃপাবৰৰ ৰচনাৱলী আৰু 'কীৰ্তন পুথিখন প্ৰতিজন লেখকেই যত্নেৰে পঢ়ি লোৱা উচিত।

উপন্যাসৰ কলা-কৌশল আয়ত্ত কৰা সহজ নহয়। তাৰ বাবে কষ্ট কৰিব লাগিব।

ভ্ৰমণ কাহিনীৰ ক্ষেত্ৰত আমাৰ সাহিত্য এতিয়াও পিছপৰা। শ্ৰীদেৱেন্দ্ৰনাথ বৰাৰ "দেৱভূমি ভাৰত" (দুই খণ্ডত সম্পূৰ্ণ) এখন সমৃদ্ধ ভ্ৰমণ কাহিনী। ড° নগেন শইকীয়াৰ "আমেৰিকাত দহ দিন", স্বৰ্গীয় ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ "প্ৰফেছাৰ বৰুৱাৰ চিঠি" স্বৰ্গীয় হেমৰুৱাৰ ভ্ৰমণ কাহিনী সমূহৰ দৰেই অনবদ্য ভ্ৰমণ কাহিনী।

ৰহস্যময় জীৱনৰ উপলব্ধিৰ প্ৰকাশ আমাৰ সাহিত্যত নাই। ভাৰতৰ আন ৰাজ্যৰ এনে সাধু, অনূদিত হৈ বহুল প্ৰচাৰিত হৈছে। তেনে পুথিৰ অসমীয়া ভাঙনিয়ে নিশ্চয় পাঠক সমাজৰ আদৰ পাব।

তন্ত্ৰ-মন্ত্ৰ-বেজালি আদি সম্পৰ্কে বৈজ্ঞানিক আলোচনা আৰু আমাৰ বিশ্বাসৰ ৰাজ্যত বাস কৰা ভূত, দলুৰা, বুঢ়াগোসাঁই, যখিনী, বাক্ আদিৰ ওপৰত (প্ৰেততত্ত্ব) কোনেও বহল আলোচনা কৰা চকুত পৰা নাই। এনে অলৌকিক অতিপ্ৰাকৃত বিষয়ৰ ওপৰত বিচাৰমূলক আলোচনা কৰিবলৈ যোগ্যসকল আগবাঢ়ি আহক।

ভাৰতৰ বাহিৰত সুদূৰ আমেৰিকাত থকা প্ৰবাসী অসমীয়া ছাত্ৰ, চাকৰিয়াল সকলে মিলি অসম সাহিত্য সভাৰ এটা শাখা খোলাৰ কথা নিশ্চয় ৰাইজে কাকতে-পত্ৰই পাইছে। এই শাখা সভাৰ বৰ্তমানৰ সভাপতি ডাঃ বিনয় বৰদলৈ আৰু সাধাৰণ

সম্পাদিকা শ্রীমতী অনুপ্রভা বৰা। শাখাৰ নিজা আলোচনী এখনো আছে, নাম "লুইতৰ পৰা মিচিচিপি"। এই শাখাই আমাৰ সাহিত্যৰ ক্ষেত্ৰত কম সময়ৰ ভিতৰতে বহুখিনি মূল্যবান কাম কৰিছে। এখেতসকলৰ যোগেদি অসমৰ সাহিত্য-সংস্কৃতিৰ মূল্যবান সম্পদখিনি বাহিৰত প্ৰচাৰ হওক, কুৰি শতিকাৰ শেষৰ ভাগত আৰু এটা নতুন 'জোনাকী যুগ' আৰম্ভ হওক, এয়ে কামনা।

"জোনাকী" কাকতৰ ৰূপৰছৰ পূৰ্ণ হ'ল। অলপতে কলিকতাৰ এ. এছ. এল. ক্লাব আৰু অসম সাহিত্য সভাই মিলি এই শতবাৰ্ষিকী উৎসৱ সমাৰোহেৰে পালন কৰাৰ উপৰিও এখন অতি মূল্যবান, আটকধুনীয়া স্মৃতিগ্ৰন্থও প্ৰকাশ কৰিছে। অ. ভা. উ. সা. সভাৰো শতবাৰ্ষিকী পালন কৰা হ'ল। প্ৰতিজন অসম প্ৰেমীৰে বুকু এই কাৰ্যই এহাতলৈ ডাঠ কৰিছে আৰু দুগুণ আশাৰে কৰ্ম-তৎপৰ হৈ একৈশ শতিকালৈ আগবাঢ়িবলৈ সকলোকে প্ৰেৰণা দিছে।

আমাৰ সমলোচনামূলক সাহিত্যৰ অৱস্থাও উৎসাহজনক নহয়। যোৱা কেইটামান বছৰৰ আগতে ভৱেন বৰুৱাই সমলোচনাৰ যোগেদি ৰোমাণ্টিক যুগৰ আৰু ৰামধেনু যুগৰ কবি এজনৰ দুই এটা কবিতাৰ সৌন্দৰ্য বিশ্লেষণ কৰি নৱমূল্যায়ন কৰিছিল। তেনে আলোচনাই নতুন কবিসকলকো বাট দেখুৱাইছিল। যোৱা দশকত ড° হীৰেণ গোহাঁইৰ বাহিৰে সমালোচনাৰ ক্ষেত্ৰত শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মা, ইমদাদ উল্লাহ, ড° গোবিন্দ প্ৰসাদ শৰ্মা, নলিনীধৰ ভট্টাচাৰ্য, উপেন্দ্ৰনাথ শৰ্মা, ধনী বৰা, অধ্যাপক দেৱেন দত্ত, অধ্যাপক প্ৰভাত বৰা আদি কেইজনমানৰ নাম উল্লেখ কৰিব পাৰি। আমাৰ ধাৰণা এই যে আমাৰ সমালোচকসকলৰ ওপৰত সম্প্ৰতি গধূৰ দায়িত্ব পৰিছে।

বুৰঞ্জী সাহিত্য চৰ্চাৰ ক্ষেত্ৰতো ড° হেড়ম্ব বৰবৰুজাৰী, ড° লীলা গগৈ, ড° সৰ্বেশ্বৰ ৰাজগুৰু, ড° ডিম্বেশ্বৰ শৰ্মা আদি কেইজনমানহে সক্ৰিয়।

অসমৰ দূৰদৰ্শনৰ ব্যৱস্থা এতিয়াও সীমাবদ্ধ। তথাপি আৰম্ভণৰে পৰা উচ্চাৰণ, কথনভঙ্গীৰ বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা থাকিব লাগিব। সমগ্ৰ উত্তৰ-পূব অঞ্চলৰ সমাজ-সংস্কৃতিৰ প্ৰচাৰ, বিকাশৰ কাৰণে বেলেগ বেলেগ কেন্দ্ৰ বা কেন্দ্ৰই বিকৃত ৰুচিৰ বিজ্ঞাপন প্ৰচাৰ বন্ধ কৰিব লাগিব।

সাহিত্যৰ শ্ৰীবৃদ্ধিৰ লগত প্ৰকাশকসকলৰ সম্পৰ্ক অতি ঘনিষ্ঠ। প্ৰকাশকৰ অভাৱতে আমাৰ সাহিত্য ইমান দিন পিছ পৰি থাকিল। এতিয়া আমাৰ সেই দিশ চহকী হৈছে, ছপাযন্ত্ৰৰ সংখ্যা বাঢ়িছে আৰু অত্যাধুনিক অফ্‌ছেট ছপাশালো স্থাপন হৈছে। কিতাপ বন্ধা শিল্পৰো উন্নতি হৈছে। তথাপি ছপা-বন্ধা অসমৰ বাহিৰৰ ছপা-বন্ধাৰ লগত ফেৰ মাৰিবপৰা হোৱা নাই। সম্মানিত প্ৰকাশকসকলৰ দ্বাৰা প্ৰকাশিত কিতাপৰ একোজন সাধাৰণ সম্পাদকো থাকিব লাগে। প্ৰকাশ কৰিব লগা কিতাপখন ভালদৰে পৰীক্ষকৰ হতুৱাই চোৱাই লোৱাৰ ব্যৱস্থাও কৰিব লাগিব। প্ৰকাশিত প্ৰতি কিতাপকে কলিকতাৰ নেশ্যনেল লাইব্ৰেৰী আদিলৈ অন্ততঃ দুখনকৈ প্ৰতিজন প্ৰকাশকে নপঠিয়ালে ভৱিষ্যতে আমি বহুত মূল্যবান পুথি হেৰুওৱাৰ আশঙ্কা। কোনো কোনো প্ৰকাশকৰ বিৰুদ্ধে বহুত লেখকৰে অভিযোগ আছে। কিতাপ প্ৰকাশন শিক্ষানুষ্ঠানৰ দৰেই এটি সৎ আৰু মহৎ অনুষ্ঠান আৰু ইয়াৰ পৱিত্ৰতা ৰক্ষা কৰিব লাগিব। অসৎ প্ৰকাশকক সকলোৱে এঘৰীয়া কৰা উচিত। সমবায় ভেঁটিত সাহিত্যিকসকলে এটি প্ৰকাশন প্ৰতিষ্ঠান গঠন কৰিলেহে আমাৰ লেখকসকল অধিক উপকৃত হ'ব। চৰকাৰে পাঠ্যপুথিৰ কিছু ভাগ উপযুক্ত ব্যৱস্থাৰে আকৌ প্ৰকাশকৰ হাতত দিলে দুৰ্বল প্ৰকাশকসকলক সহায় কৰা হ'ব, আৰু তেনে প্ৰকাশকে লেখকৰ কিতাপ প্ৰকাশ কৰিব পাৰিব। অসম প্ৰকাশন পৰিষদে এই ক্ষেত্ৰত এক মহান জাতীয় দায়িত্ব পালন কৰি আহিছে জন্মক্ষণৰপৰাই। আমাৰ প্ৰকাশনৰ সৌষ্ঠৱ বৰ্ধন, চাৰুত্ব সম্পাদনৰ ক্ষেত্ৰত পৰিষদৰ কিতাপসমূহে সদায়ে আৰ্হি দেখুৱাই আহিছে। বহুতো মূল্যবান গ্ৰন্থৰ নতুন প্ৰকাশ সম্ভৱ হৈছে পৰিষদৰ যোগেদিয়েই। সদ্যহতে আমাৰ লেখকসকলক আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থাও লোৱা বুলি বাতৰি পাইছিলোঁ। এই সম্পৰ্কে পৰামৰ্শ দিব পাৰি যে উপযুক্ত কিতাপ প্ৰকাশৰ কাৰণে অৰ্থ সাহায্য দি সেই ধনৰ বাবদ পৰিষদে লগে লগে কিতাপ কিনি ল'ব পাৰে; সৱহ সংখ্যক সাহিত্যিকৰ কিতাপ সামৰিব পৰাকৈ সহায়ৰ ব্যৱস্থা কৰিব পাৰে। মোৰ বিশেষ পৰামৰ্শ হ'ল এয়ে যে আন সাহিত্যিকৰ হতুৱাই লিখাই বা সম্পাদনা কৰি বিবিলাখ কিতাপ প্ৰকাশ কৰিছে, তেওঁলোকৰ সেই কিতাপৰ নতুন আঙৰণবিলাকৰ কাৰণে শতকৰা অতি কম নিৰিখত হ'লেও ধন দিয়াৰ ব্যৱস্থা কৰিব লাগে। পাঠ্যপুথিৰ ক্ষেত্ৰত

এনে নিৰিখ বঢ়াব লাগে।

এই সুযোগতে আন এষাৰ কথা পোণপটীয়াকৈ কেন্দ্ৰীয় শাসক আৰু সৰ্বভাৰতীয় ৰাইজক জনাই থোৱা উচিত বুলি ভাবিলোঁ। বুৰঞ্জী আৰু বুৰঞ্জীয়ে কোনো মতে চুই যাবপৰা দিন ধৰি আমাৰ এই উমৈতীয়া ভাষাটো আমাৰ ৰীতি-নীতি, জীৱনধাৰাটোৰে আমাক নিজা বৈশিষ্ট দান কৰি আহিছে। সম্প্ৰতি কালৰ ধামখুমীয়াত পৰি ভিতৰৰ বদন আৰু বাহিৰৰ মানৰ হেঁচাত আমাৰ এই অট্টালিকাৰ ভেঁটি খৰক-বৰক হৈছে, ইয়াত ভিতৰ বাহিৰ দুয়োফালৰ পৰা ষড়যন্ত্ৰ চলিছে। এই দেশ যদি একখণ্ড ভাৰতবৰ্ষ তেনেহ'লে ইয়াত নিগাজিকৈ থাকিবলৈ অহাসকলে এইখনকো নিজৰ ভাৰতবৰ্ষ বুলি মনে-প্ৰাণে গ্ৰহণ কৰিব লাগিব। ধৰ্মৰ নামত, ভাষাৰ নামত নিজা এখন ৰাজ্য স্থাপনৰ কথা সপোনতো ভাবিব নালাগিব। সংবিধানৰ দোহাই দি ইয়াত এখন ত্ৰিপুৰা বা চিকিম কৰিবলৈ দিয়া নহ'ব। স্বাধীন দেশত আমি অসমীয়াসকলো ভাৰতৰ অন্যান্য প্ৰান্তৰ অধিবাসীসকলৰ দৰেই স্বাধীন। আমি কাৰো বহতীয়া হৈ নাথাকিম, সেইটো আমাৰ তেজত নাই। আমাৰ গোপন শত্ৰুসকল, বা আমাৰ চুকত থাকি বুকুত কামুৰিব খোজাসকলে এই কথা যেন পাহৰি নাযায়। এয়া মোৰ ভাবাবেগ নহয়, এয়া আমাৰ বুৰঞ্জীৰ কণ্ঠস্বৰ।

সামৰণিত, ৰাইজৰ ওচৰত আঁঠু লৈ জনাওঁ যে ৰাইজে আশা কৰা মতে ভাষণ লিখাৰ যোগ্যতা মোৰ নাই। দুটামান গল্প, কবিতা লিখা আৰু চিন্তামূলক ভাষণ লিখা একে কথা নহয়। ৰোগ, দুৰ্ঘটনা, দুৰ্যোগৰ মাজেদি মোৰ যোৱা দহটা বছৰ 'দিন যাওক ৰাতি পুৱাওক'কৈ পাৰ হ'ল। কৰিম বুলি ভবা একো কামেই কৰিব নোৱাৰিলোঁ। সেই দিনবোৰ আৰু ঘুৰাই নাপাওঁ। যোৱা এটা মাহ মাত্ৰ মই ভগৱন্তৰ কৃপাত গা-মন টঙাব পাৰিছোঁ। এনেতে এই দায়িত্ব পৰিল আৰু ৰাইজৰ হিয়াভৰা আশীৰ্বাদত মনলৈ সাহ আৰু প্ৰেৰণা আহিল। সময় নিতান্ত কম হোৱাত, একাণপতীয়াকৈ, নীৰৱ পৰিবেশত ভাষণখন সমাপ্ত কৰিবপৰা নহ'ল। সভাপতিৰ ভাষণৰ সকলো দায়িত্ব সভাপতিজনৰ নিজৰ। বহুতো দোষ, ত্ৰুটী, ভুল-চুক থাকিব পাৰে, সময়ৰ বৰ অভাৱ হ'ল। টোতে খৰ মাৰি যিখিনি কৰিব পাৰিলোঁ তাকে আপোনালোকলৈ আগবঢ়ালোঁ।

আমাৰ সকলোৰে শিৰত ভগৱন্তৰ কৃপা বৰ্ষিত হওক, - 'অসম আকৌ উন্নতি পথত জয় আই অসম বোল।'

ৰাইজলৈ কাৰদম্ জনালোঁ।

-- * --

ষট্ পঞ্চাশত্তম অধিৱেশন

বিশ্বনাথ চাৰিআলি ঃ ১৯৯০ চন

নৱকান্ত বৰুৱা

অসম সাহিত্য সভাৰ বিদায়ী সভাপতি মহাশয় এই মুকলি সভাৰ উদ্বোধক মহাশয়, আদৰণী সভাৰ সভাপতি প্ৰমুখ্যে কৰ্মকৰ্তাসকল, প্ৰতিনিধিবৰ্গ, সভ্যমণ্ডলী আৰু কমলাকান্ত নগৰত গোটখোৱা শ্ৰদ্ধাভাজন বাইজ, অসম সাহিত্য সভাৰ সভ্যসকলৰ দ্বাৰা নিৰ্বাচিত হৈ মই কম্পিত চিত্তেৰে আপোনালোকৰ সম্মুখত থিয় দিছোঁহি ১৯৯০ চনৰ বাবে অসম সাহিত্য সভাৰ সভাপতিৰূপে। মই এজন সমান্য লেখক, অসম সাহিত্য সভাৰ সভাপতি হ'ম বুলি কোনোকালে কল্পনাও কৰা নাছিলোঁ। কিন্তু অঘটন-ঘটন-পটীয়সী ইতিহাসৰ অদৃশ্য অমোঘ নিয়মত মই আজি সেই ৰূপতে আপোনালোকৰ সমুখত। দায়িত্ব হিচাপে ইয়াক বহন কৰিব পৰা সামৰ্থ্য মোৰ নাই, ইয়াক গ্ৰহণ কৰিছোঁ কেৱল আপোনালোকৰ প্ৰীতিৰ দান হিচাপে। আৰু হয়তো অসমীয়া মানুহে অসমীয়া সাহিত্যিকক দিব পৰা সৰ্বোচ্চ সম্মান হিচাপে। কৃতজ্ঞতা কথাৰে বুজাব পৰা বস্তু নহয় .... অথচ কথাৰ বাহিৰেনো মোৰ কি সমল আছে!

পুৰস্কাৰ-তিৰস্কাৰ-প্ৰশংসা-পৰিবাদে লেখকক দৰাচলতে স্পৰ্শ নকৰে, কৰে উপেক্ষাই। মোৰ পৰম সৌভাগ্য যে মোৰ সামান্য সাহিত্যকৰ্ম উপেক্ষিত হোৱা নাই। অসম সাহিত্য সভাৰ লগত মোৰ সাহিত্যিক সম্বন্ধ চিৰকালেই আছিল, এতিয়া আনুষ্ঠানিকভাৱে সেই সংগঠনত মই প্ৰৱেশৰ পথত। ৰবীন্দ্ৰনাথৰ সঁকীয়নিত মই জানো জীৱনৰ কোনো ধনেই পেলনি নায়ায়। সাহিত্য সভাৰ লগত এই সংযোগে মোৰ জীৱন আৰু সাহিত্যক নতুন ৰূপত চোৱাত আৰু পোৱাত অৱিহণা যোগাব। মোৰ দৰে সংগঠন-অকুশল লোকৰ দ্বাৰা সাহিত্য সভাৰ যে কিবা লাভ হ'ব সেইটো মোৰ মনে নধৰে। তথাপি মই দু-আষাৰ কথা নিবেদন কৰিম। মই সাহিত্যৰ ইতিহাসকাৰ নহওঁ, মই ভাষাবিদ নহওঁ, মই নিজকে এজন কবি বুলি বিশ্বাস কৰোঁ। সেই দৃষ্টিৰে মই হয়তো সাহিত্যিকো। অসমীয়া ভাষা মোৰ সাহিত্যৰ মাধ্যম। গতিকেই সাহিত্যৰ লগত সম্পৰ্ক থকা মানুহ হিচাপে মই ভাষাৰো সামান্য কাৰু। মোৰ চিত্ৰকৰ ভাস্কৰ বন্ধুসকলক মই মনে মনে অলপ ঈৰ্ষা কৰোঁ। তেওঁলোকৰ মাধ্যম সৰ্বজনবোধ্য, সাধাৰণভাবে বিশ্বজনীন, আন্তৰ্জাতিক আৰু কালাতীতো। আদিম যুগত মানুহৰ ভাষা নিশ্চয় আছিল, আমি তাৰ একো গমকে নাপাওঁ; কিন্তু গুহাচিত্ৰই আমাক তেওঁলোকৰ মনৰ, জীৱনৰ আৰু সমাজৰ খবৰ দিয়ে। স্পেইনৰ গুহাচিত্ৰ আৰু মধ্যভাৰতৰ গুহাচিত্ৰৰ মাজত এক আত্মীয়তা দেখোঁ।

কিন্তু ভাষা দেশ আৰু কালৰ সীমাৰে সীমিত। দুটা পাহাৰৰ ভাষা এজনৰ বাবে ভাষা, আনজনৰ বাবে অৰ্থহীন বাক্‌যন্ত্ৰ নিঃসৃত কিছুমান শব্দ বা কোলাহল মাথোন। সুপ্ৰাচীন একোটা ভাষাই কালৰ সোঁততে আহি এনে ৰূপ লয়, যে অতীতৰ ভাষাৰ লগত তাৰ যেন কোনো সম্বন্ধই নাই — এনে লাগে।

ভাবিলে বিস্মিত হ'ব লাগে, ভাষা নামৰ এই কণ্ঠ নিঃসৃত ধ্বনি তৰঙ্গ মানুহৰ কি বিস্ময়কৰ আৰু যুগান্তকাৰী আবিষ্কাৰ। অন্যান্য জীৱ-জন্তুৰ পৰা, আনকি উন্নত কপি বা বনমানুহহঁতৰপৰা মানুহক পৃথক কৰিছে ভাষাই — ভাষণ শক্তিয়ে — উচ্চাৰিত ধ্বনিপুঞ্জৰ প্ৰায়োগিক ব্যৱহাৰে । মানুহৰ ৰোমহীনতা, আঙুলিৰ বিপৰীতস্থ বুঢ়া আঙুলি, আগ ঠেঙৰ মুক্তি আৰু হাতলৈ ৰূপান্তৰ, আহিলাৰ ব্যৱহাৰ আৰু আনকি নির্মাণ — এই সকলোবোৰ পৰীক্ষাৰ চালনীৰে মানুহৰ বাহিৰেও আন বহুতো প্ৰাণী হেলাৰঙে সৰকি যায়। কণ্ঠস্বৰো প্ৰায় সকলো প্ৰাণীৰে আছে। (আনকি বোবা বুলি বিখ্যাত জিৰাফৰো আছে!) কিন্তু

উচ্চাৰিত ধ্বনিক বাণীলৈ ৰূপান্তৰ কৰাৰ ক্ষমতা, কণ্ঠনিঃসৃত ধ্বনি তৰঙ্গৰ প্ৰায়োগিক ব্যৱহাৰ — মানুহৰ একক। আন কোনো প্ৰাণীয়ে তাক আহৰণ কৰিব নোৱাৰিলে। আবেগিক স্নায়ুতন্ত্ৰীচালিত মাংসপেশীৰ বিকলনৰ বাবে আন জীৱ-জন্তুৰ মাততো অৱস্থাভেদে কিছু তাৰতম্য দেখা যায়। কুকুৰে ভুকেও, গেঙেৰিও দিয়ে। কিন্তু, মূৰ্ত বা অমূৰ্ত বস্তুৰ প্ৰতীকৰূপে, বস্তুক নিৰ্দেশ কৰিবৰ বাবে কণ্ঠধ্বনিৰ বিশেষ ব্যৱহাৰ একমাত্ৰ মানুহেইহে কৰিব পাৰিলে। সেই কাৰণে ভাষাক এতিয়া নিৰ্দেশাত্মক (denotative) বা প্ৰতীকী সত্তা বুলিয়েই ধৰা হয়, অৰ্থাৎ ভাষাই মানুহক ইতৰ জন্তুৰপৰা পৃথক কৰিলে। ভাষাৰ এই প্ৰতীকী সত্তা, নিৰ্দেশাত্মক গুণ অনুভৱ কৰিবৰ বাবে এটা সৰু উদাহৰণঃ সাৰমেয়, কুকুৰ, ডগ (dog) পেৰো (perro) কানিচ (canis) চিয়েন (chien), হুণ্ড (hund) — এই শব্দকেইটা ভৌ ভৌ কৰা বিশেষ জন্তু এটাৰ প্ৰতি সংকেত কৰে। ভাষাতত্ত্বৰ ভৌ ভৌ তত্ত্ব (Bow-wow theory) অগ্ৰাহ্য কৰি জন্তুটোৰ বেলেগ ভাষাত বেলেগ নাম। connotation নহয়, denotation । মানুহক ইতৰ জন্তুৰপৰা পৃথক কৰা ভাষাই এইদৰে মানুহৰ মাজতো পাৰ্থক্যৰ সৃষ্টি কৰিলে।

এই কথাত মানুহে কষ্ট পাইছিল আৰু তাৰ ব্যাখ্যা বিচাৰি ধৰ্মতত্ত্বত আশ্ৰয় লৈছিস। 'এক বহু হ'ল' — উপনিষদৰ এই তত্ত্ব ভাষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছিল নে নাই নাজানো। কিন্তু ইহুদী পুৰাণৰ বাবিল স্তম্ভৰ কাহিনীয়ে ভাষাভেদৰ বাবে পৰোক্ষ ঈশ্বৰকেই যেন দায়ী কৰিছে। যিহোৱাই কৈছিল, "চোৱা, সিহঁত একে জাতি, আৰু সিহঁতৰ ভাষাও একে। ..... এতিয়া সিহঁতে ঠাৰৰ কৰা কোনো কাম সিহঁতৰ অসাধ্য নহ'ব ... এতেকে আহা ..... সিহঁতৰ এজনে আনজনৰ ভাষা বুজিব নোৱাৰাকৈ সেই ঠাইত ভাষাৰ ভেদ জন্মাওঁগৈ" (বাইবেল ঃ আদিপুস্তক ১১)। গতিকেই হেনো মানুহে ইচ্ছাকৰা মতে এক স্তম্ভও সাজিব নোৱাৰিলে আৰু পৃথিৱীত নানা ভাষাৰ জন্ম হ'ল। আমাৰ আঙ্গামীসকলৰ লোক পৰম্পৰাতো এনে এটা সাধু আছে।

নাই ... ধৰ্মৰ সাধু বা লোক-সাধু কৈ মই আপোনালোকক আৰু নিজক আভুৰা ভাৰিব খোজা নাই। পৃথিৱীত বিভিন্ন ভাষাৰ জন্ম প্ৰক্ৰিয়া নিশ্চয় ইমান সহজ নহয়। সেই প্ৰক্ৰিয়াটোৰ বিষয়ে মোৰ একো ধাৰণাই নাই। মই মাথোন ঐতিহাসিক যুগত কৰা বৰ্ণনা শুনিছোঁ, পৃথিৱীৰ বিভিন্ন লোক প্ৰব্ৰজনৰ কাৰণে বিভিন্ন ঠাইত বিয়পি পৰিছে। ক'ৰ ভাষা ক'লৈ যায় — সেইটো 'ক'ৰ পানী ক'লৈ যায়'—বোলা সমস্যাতকৈ জটিল, কিয়নো নৃতাত্ত্বিকৰমতে মঙ্গোল গোত্ৰৰ হৈ খাচীয়াসকলে এটা অষ্ট্ৰিক ভাষা কয়! এইবোৰৰ উত্তৰ হয়তো আছে, কিন্তু মই যি কাৰণে এই কথাৰ অবতাৰণা কৰিছোঁ সি সম্পূৰ্ণ সুকীয়া। বহুভাষাৰ সমস্যাটো বৰ জটিল সমস্যা। মানুহে নিজক 'একে জাতি' বুলি ভাবিলেও ভাষাই যেন বাটত হেণ্ডাৰ দিব খোজে। ভাষাৰ পবিত্ৰতা, জাতিৰ পবিত্ৰতা আদিৰ ধাৰণাই মানৱীয় প্ৰমূল্যৰ বিস্তৰ ক্ষতি কৰে তাৰ উদাহৰণ অতীত আৰু বৰ্তমানৰ ইতিহাসত আছে।

S আৰু Sh — চ আৰু শ্ব এই দুটা উচ্চাৰণৰ পাৰ্থক্যৰ কাৰণেই যৰ্ডন নদীৰ পাৰঘাটত বিয়াল্লিছ হেজাৰ লোকক হেনো বাইবেলৰ যুগতেই হত্যা কৰা হৈছিল ঃ 'ইফ্ৰিয়মৰপৰা পলাই যোৱা কোনো মানুহে যদি কয়, মোক পাৰ হ'বলৈ দিয়া, তেতিয়া গিলিয়দৰ মানুহে তাক সোধে, তুমি জানো ইফ্ৰিয়মীয়া মানুহ নোহোৱা? আৰু সি যদি কয়, নহওঁ, তেতিয়া তেওঁবিলাকে কয়, এবাৰ 'শ্যিব্বোলেৎ' (shiboleth) বোলাচোন, তাতে সি শুদ্ধ ৰূপে উচ্চাৰণ কৰিব নোৱাৰি 'চিব্বোলেৎ' (siboleth) বুলি ক'লেই তাক ধৰি যৰ্ডনৰ পাৰঘাটতে বধ কৰে। সেই সময়তে ইফ্ৰিয়মৰ ৪২ হাজাৰ লোক মৰা পৰিল— (বাইবেল, পুৰণি নিয়ম, বিচাৰকর্তাবিলাক ৯:১২)

বাইবেলৰ এই সাধু বা ঘটনাৰ দৰেই 'স' বোলা ধ্বনি এটাৰ উচ্চাৰণ পৰীক্ষাৰে জাতিত্ব নিৰ্ণয় কৰা এতিয়াও দেখি আছোঁ। তেনেবোৰ কাৰণতেই মোৰ ভিতৰত থকা কবিটোৱে কৈ উঠিছিল ঃ "মৰা মনুহৰ মুখ শুঙি চাওঁ কোনটোনো কাৰ মাতৃভাষা!"

ভাষাৰ বিষয়ে মোৰ এইবোৰ চিন্তা বা দুশ্চিন্তা। স্বপ্ন বা দুঃস্বপ্ন। ভাষাই ভাষাই পাৰ্থক্যৰ এনে কৰুণ পৰিণতি জানো মানুহে কল্পনা কৰিব পাৰে!

মোৰ অনাভুৰা মনত অসম সাহিত্য সভাই তিনিটা ঘাই ৰূপত দেখা দিয়ে। এটা হ'ল—এইখন সাহিত্যৰ সভা। জীৱনক জীৱনৰ সৈতে যুক্ত কৰা শক্তি এই সাহিত্য। সাহিত্য যেনেকৈ কেৱল বচকৰ সামগ্ৰী নহয়, তেনেকৈয়ে সাহিত্য সভাও অকল সাহিত্যিকৰ সভা নহয়। এইখন লেখক সম্মিলন নহয়— সাহিত্য সভা। ইয়াত লেখক আৰু পাঠকৰ, দাতা আৰু গ্ৰহীতাৰ সমান

মৰ্যদা। সাহিত্য ৰচক আৰু সাহিত্যপ্ৰেমী— দুয়ো ইয়াৰ সমান নহ'লেও অংশীদাৰ। অকল সাহিত্যিকৰ সভা নহয় কাৰণেই ইয়াত ৰাইজৰ সমাগম। ইয়াৰ কবি সভা, আলোচনা চক্ৰ, বিষয় বাছনি সভা ... এইবোৰে যেন অসমীয়া সাহিত্যৰ দিকনিৰ্ণয় কৰিব এনে এটা ভাবতে অসমৰ মনুহে এই সভাৰ কাৰ্যকলাপ মন কৰে। ইয়াৰে বছৰেকীয়া অধিবেশনক 'মেলামুখী' বুলি বহুতে অসন্তোষৰ চকুৰে চাই ইতিকিং কৰাও শুনিছিলোঁ। আজিকালি তেনে সমালোচনাৰ চোক কমি আহিছে। শিল্প, বাণিজ্য, ধৰ্ম আদিক লৈ যদি মেলা হ'ব পাৰে .... সাহিত্যক লৈ কিয় নোৱাৰিব? শিল্প-বাণিজ্যতকৈ সাহিত্যৰ মূল্য কম নেকি বাৰু? সাহিত্যৰ নামত সাক্ষৰ, নিৰক্ষৰ ইমান ৰাইজ গোট খোৱাটো বৰ বিস্ময়কৰ কথা বুলিও নাভাবোঁ। অসমীয়া মনুহৰ দেশপ্ৰেম ঘাইকৈ ভাষাভিত্তিক। ভাষাভিত্তিক হোৱা কাৰণেই এই দেশপ্ৰেম মোটামুটিভাৱে চেকুলাৰ হৈ আছে। আকৌ, সকলো গৈ গৈ যেন এতিয়া ভাষাটোহে বৰ্তি আছেগৈ। তাক নীৰৱ সাধনাৰেই হওক, সৰৱ উৎসৱ আন্দোলনৰেই হওক ৰক্ষা কৰিবই লাগিব— এইয়ে যেন অসমীয়া জাতীয়ত্বৰ ধ্ৰুৱক। অসমীয়া সাহিত্য যে অ. ভা. উ. সা. সভাৰ দিনৰপৰা ওলাই সাহিত্য সভা পালেহি .. এই কথাটো হয়টো আমাৰ সকলো সময়তে মনত নাথাকে।

সাহিত্য সভাৰ আৰু এটা ৰূপ আছে। ই স্বৰূপতে অসমৰ প্ৰাচীনতম স্বেচ্ছামূলক শিক্ষাসদী অনুষ্ঠান। এটা সৰু উদাহৰণ ঃ মাইলচ্ ব্ৰনচনৰ অভিধানৰ বাহিৰে অসমীয়া ভাষাৰ আটাইকেইখন অভিধান অসম চৰকাৰ বা অৰ্ধচৰকাৰী প্ৰতিষ্ঠান অথবা ব্যক্তিগত খণ্ডতে প্ৰকাশিত হৈছে। চন্দ্ৰকান্ত অভিধানেই একমাত্ৰ অসমীয়া অভিধান, যিখন এটা স্বেচ্ছামূলক শিক্ষাসদী প্ৰতিষ্ঠানে সম্পাদনা আৰু প্ৰকাশ কৰিছে। সেই প্ৰতিষ্টান হ'ল অসম সাহিত্য সভা। চন ১৯৩২। অধুনা-অপ্ৰচলিত ব্ৰনচনৰ অভিধান আমেৰিকান বাপ্তিষ্ট মিছনে প্ৰকাশ কৰে। বাপ্তিষ্ট মিছন অনাচৰকাৰী কিন্তু ধৰ্মীয় অনুষ্ঠান। ভাষা চৰ্চা তাত ধৰ্মৰ হাতধৰী লিগিৰীহে। অসম সাহিত্য সভাৰ এই শিক্ষাসদী পৰম্পৰা মাজে মাজে স্তিমিত হৈ আহিলেও নিঃশেষ হোৱা নাই। এনে কামৰ বাবে অনুষ্টুপীয়াকৈ হ'লেও সাহিত্য সভা এটা বিশেষ গুণৰ অধিকাৰী আছিল। এই সভা দানৰ উপযুক্ত আৰু আস্থাভাজন পাত্ৰ আছিল। যুগ ধৰ্ম অনুসৰি ক্ৰমে দানৰ ঠাই অনুদানে অধিগ্ৰহণ কৰিলে। কল্যাণকামী শাসন ব্যৱস্থা বুলি ঘোষণাত মুগ্ধ হ'লে সম্পদতো বিপদ।

সাহিত্য সভাৰ তৃতীয় ৰূপটোৰ কথা মই গ্ৰহণ কৰিছোঁ সাহিত্য সভাৰ এজন প্ৰাক্তন সভাপতিৰ ব্যক্তিগত মন্তব্যৰপৰা। এইখন সভ্যসকলৰ সভা। স্বৰূপতে, সভাৰ নিয়মাবলী মতে সভ্যসকলেই এই সভাৰ কেন্দ্ৰৰ কেন্দ্ৰস্থ শক্তি। সভাক এতিয়া জাতীয় অনুষ্ঠানৰ মৰ্যাদা দিয়া হৈছে। অন্ততঃ কাকতে-পত্ৰই সেই ধাৰণাৰে প্ৰকাশ। কিন্তু ইয়াৰ সমুদায় কাৰ্যকলাপ নিয়ন্ত্ৰিত হয় সভ্যসকলৰ দ্বাৰা প্ৰত্যক্ষ বা পৰোক্ষে। সভ্যসকলৰ ভাষিক, সামাজিক আনকি ৰাজনৈতিক আদৰ্শ বা কৰ্মসমূহৰো প্ৰতিফলন সাহিত্য সভাত দেখা পোৱাটো অসম্ভৱ বা অবাস্তব নহয়।

নাই, শ্ৰদ্ধেয় ৰাইজ, মই সাহিত্য সভাৰ ইতিহাস কব খোজা নাই। অসমীয়াৰ মানসিকতা এই সভাৰ কাৰ্যকলাপত প্ৰতিফলিত হোৱাৰ বাবেই, বা কৰিবৰ বাবেই যে ইয়াক জাতীয় অনুষ্ঠান ৰূপে গ্ৰহণ কৰা হৈছে, তাকেহে ক'ব খুজিছোঁ। অসম সাহিত্য সভাৰ তথা সভ্যসকলৰ এইটো এটা ডাঙৰ শক্তি। কিন্তু শক্তিৰ প্ৰকাশৰ অন্তৰালত যে দুৰ্বলতা থাকিব পাৰে, গৌৰৱ বোধৰ অন্তৰালত যে এটা ভয়ো থাকিব পাৰে, তাৰো সংকেত আমি নোপোৱাকৈ নাথাকোঁ। অসমীয়া মানসিকতাৰ বিষয়ে অলপ ভাবিলেই হয়তো কথাটো কিছু পৰিষ্কাৰ হ'ব।

মানৰ দিনৰ বা মোৱামৰীয়া সংগ্ৰামৰ কথা এতিয়া বিস্মৃতিৰ গৰ্ভলৈ গ'লেও বৃটিছ আগমনৰ সময়ৰ কেইটামান পৰিস্থিতিয়ে অসমীয়া মানসিকতাৰ দিক নিৰ্ণয় কৰিছিল বুলি ব'ব পাৰি। বৃটিছ শাসন যন্ত্ৰই শান্তিৰ বিনিময়ত এনে কিছুমান সমস্যা আমাক দিবলৈ আৰম্ভ কৰিছিল, যিবিলাকৰ বাবে আমি অৰ্থাৎ মধ্যবিত্ত মানুহখিনি প্ৰস্তুত নাছিলোঁ। দাসপ্ৰথা (বন্দি-বেটী) বন্ধ কৰোতে মণিৰাম দেৱান আদিৰ বিৰোধিতা মন কৰিবলগীয়া। খেল-প্ৰথা আৰু বেগাৰ প্ৰথাৰ ঠাইত খাজনা প্ৰথা প্ৰবৰ্তনৰ সময়ত হোৱা খেলিমেলিৰ কথাও সামাজিক ইতিহাসৰ ছাত্ৰই জানে। যি কোনো কাৰণতেই নহওক, আহোমৰ দিনত অসমত বঙ্গভীতি নাছিল। কন্দ্ৰসিংহই বিনাৱিধাই অসমৰ গায়নক বঙালী 'ছংকীৰ্তনীয়া' মতে গীত শিকিবলৈ দিছিল। জয়ন্তীয়া বুৰঞ্জীৰ লেখকসকলে নিৰংকুশভাৱে বঙলা শব্দ ব্যৱহাৰ কৰিছিল। মোগল যুদ্ধৰ সময়ৰ বুৰঞ্জীৰ দেখাৰ ফাচী আৰবী শব্দ। আৰবী জাচুচ্ (গুপ্তচৰ) শব্দটো 'দাচুচ' ৰূপত এবাৰেই সোমাল যদিও হিন্দী চিনেমাৰ ফলত জাচুচ শব্দটো আকৌ জনাজাত হৈছে। শঙ্কৰদেৱ-মাধৱদেৱে

অসমীয়াৰ cognate যি কোনো ভাষাৰ শব্দ আনকি যাবনিক শব্দও অকুতোভয়ে ব্যৱহাৰ কৰি গ'ল। অ. ভা. উ. সা. সভা বা সাহিত্য সভা বা কোনো ভাষানীতি নোহোৱাকৈয়ে এটা শক্তিৰ অবস্থানৰ পৰা তেওঁলোকে ভাষা ব্যৱহাৰ কৰিছিল। ইংৰাজ অহাৰ পৰাতো অসমৰ মানুহৰ বঙ্গভীতিৰ বা বঙ্গভাষা ভীতিৰ মানসিকতা হ'বলগীয়া নাছিল, মণিৰাম দেৱানে বঙলা মিহলি ভাষাতে তেওঁৰ বুৰঞ্জীৰ বিবেক ৰত্ন লেখিছিল। 'কুমপানীৰ দিন' আৰু 'মহাৰাণীৰ' আমোলতে অসমীয়া জাতি বুলি এটা ধাৰণাৰো জন্ম হ'ল, আৰু ভাষাই যেন হ'ল জাতিটোৰ পার্থক্য বা স্বকীয়তা সূত্র। চৰকাৰী কাম আৰু শিক্ষা ব্যৱস্থাত কিহৰ কাৰণে আৰু কাৰ উদ্যোগত বঙলা ভাষাৰ ব্যৱহাৰ কৰা হৈছিল তাৰ পম খেদিবৰ প্রয়োজন বা মানসিকতা সেই সময়ত আমাৰ থকাটো সম্ভৱ নাছিল। অসমৰ মানুহে দেখিছিল— চাহাবসকলৰ লগত অহা ভাৰতীয় কর্মচাৰীবিলাক বঙলাভাষী আছিল,গতিকে পিছৰ যুগৰ আলোচনাত নন্দঘোষবিলাকৰ গাতে দোষবিলাক জাপি দিয়াটো সহজ আছিল। আৰু বঙলাভাষীসকলে যে চৰকাৰী চাকৰি আৰু আদালতৰ কামত তেওঁলোকৰ ভাষাই দিয়া সুবিধাখিনি উপভোগ নকৰিছিল সিও নহয়। মই অসমীয়া ভাষাৰ ইতিহাস নাজানো, কিন্তু সাহিত্যৰ নজিৰৰপৰাই বুজিব পাৰোঁ, এটা আর্যগোষ্ঠীৰ ভাষা দুটা বহল আৰু লগতে কিছুমান সৰু উপভাষিক গোটেৰে কেইবাশ বছৰৰপৰা চলি আছিল।এই কথাও জানো— বঙলা ভাষাৰ লগত এই ভাষাৰ পার্থক্যও বহুত। ইংৰাজ অহাৰ আগতে বিভিন্নসময়ত সেই ভাষাৰ কেইবাটাও কেন্দ্র জীৱন্ত ৰূপতে আছিল। মাজুলীৰ সত্রসমূহত, গড়গাঁও, ৰংপুৰ, যোৰহাট আদি আহোম ৰাজধানীবিলাকত, ৰৰদোৱা, পাটবাউসী, ৰৰপেটাৰপৰা মধুপুৰলৈকে সত্রসমূহত, দৰঙৰ ৰাজসভাত— এই ভাষাটো প্রচলিত আছিল, হয়তো অলপ ভিন ভিন গঢ়ত। তাৰ লিপিগত চৰিত্রতো স্থান মাহাত্ম্য আছিল। কথনভঙ্গীৰো আছিল। আজি যদি বৈষ্ণৱ পৰম্পৰাৰ সত্রসমূহত প্রচলিত ভাষাটো অসমৰ মান্যভাষা হ'লহেতেন হয়তো অসমীয়া ভাষাত প্রথমা বিভক্তিৰ এক বচন লোপ পালেহেঁতেন আৰু কর্তৃবাচ্যৰ প্রয়োগ প্রায় নোহোৱা হ'লহেঁতেন। ইংৰাজে তেওঁলোকৰ তৎকালীন ভাষা ব্যৱস্থাৰে বঙলা ভাষা প্রচলন কৰিবলৈ কৰা চেষ্টাৰ বিৰোধী ভাষাৰ প্রতিক্রিয়া স্বৰূপেই আজি আমি অসমীয়া বোলা এই আর্যভাষাটোক যি ৰূপত দেখিছোঁ, তাৰ যি ব্যাপ্তি দেখিছোঁ সেইটো নাপালোহেঁতেন। এই কথাও আমি পাহৰিলে নচলিব যে মিছনাৰীসকলৰ এজনে যিটো অসমীয়া ভাষা ব্রহ্মপুত্রৰ সোঁতৰ দৰে বৈ থাকিব বুলি কৈছিল, তেওঁ কিন্তু কামৰূপত প্রচলিত ভাষা বা কথনভঙ্গীক তাৰ অন্তর্ভুক্ত কৰিব খোজা নাছিল আৰু খোজা নাছিল কছাৰীসকলক (আধুনিক প্রতিশব্দৰে বড়োসকলক)।

এটা কথা কেৱল মন কৰিবলীয়া, যিটো সত্যৰ ওপৰতেই ভিত্তি কৰি মিছনাৰীসকলে অসমীয়া ভাষাৰ ব্যাপ্তিৰ কথা ঘোষণা কৰিছিল, সেইটো হ'ল— ইংৰাজ বা মিছনাৰীসকল অহাৰ আগতেই উজনি অসম অঞ্চলৰ অসমীয়া উপভাষাসমূহ গোট খাই এটা ভাষা যেন হৈ পৰিছিল। হয়তো আহোম শাসন ব্যৱস্থাৰ বাবেই সেইটো সম্ভৱ হৈছিল। আনহাতে কামৰূপ-ৰঙামাটি অঞ্চলত (য'ত ইংৰাজে প্রথম খলি পাতিছিল) ৰাজনৈতিক অস্থিৰতাৰ বাবেই হয়তো কেইবাটাও উপভাষা প্রচলিত আছিল আৰু এতিয়াও আছে। উজনি -নামনিৰ ভাষাৰ এই পার্থক্যৰ কথা মিছনাৰীসকলৰ মন্তব্যতো আছে। মুদ্রাযন্ত্রৰ ব্যৱহাৰ আৰু ব্রাউন, ব্রনচন, আনন্দৰাম, নিধিৰাম, গুণাভিৰাম, হেমচন্দ্র আদিৰ যত্নত অসমীয়া ভাষাৰ এটা নতুন ব্যৱহাৰৰ ফলত উপভাষা নির্বিশেষে উজনি অসমৰ উপভাষাৰ ভিত্তিত গঢ় লৈ উঠা অসমীয়া শিক্ষা আৰু প্রশিক্ষণৰ জৰিয়তে গোটেই ব্রহ্মপুত্র উপত্যকাৰ গৃহীত ভাষা হৈ পৰিল। অসমীয়া ভাষাই এটা 'মান্যভাষা' ৰূপত দেখা দিলে। ইংৰাজ শাসনৰ আৱর্তনিতে বঙলাৰ লগত হোৱা সেই প্রাথমিক সংঘাতটোৰ বাবে অসমীয়া ভাষাত এটা শুচিবায়ুগ্রস্ততাৰো জন্ম নোহোৱাকৈ থকা নাই। আনহাতে আকৌ কামৰূপী ভাষা বুলি এটা পৃথক সত্তাৰ ধাৰণাও মাজে মাজে হৈছিল। হৰিবিলাস আগৰৱালাই ছপা কৰা কীর্তনৰ ভাষা অসমীয়া বুলি গ্রহণ কৰা মানুহেও মাধৱকন্দলিৰ ৰামায়ণ ছপা হৈ ওলাওঁতে 'সেইখন অসমীমা ভাষাত লেখা নহয়, কামৰূপী ভাষাতহে লেখা' বুলি মন্তব্য কৰি কৈছিল কামৰূপী ভাষা শ্রীহট্টৰ ভাষাৰ দৰেই অসমীয়াতকৈ পৃথক.' আনহাতে আকৌ শ্রীহট্টৰ ভাষা অসমীয়াৰে উপভাষা বুলি আলোচনা আৰু দাবী কৰাও হৈছিল।

এইবোৰ টো মাৰ গ'ল, যেতিয়া মালিৰাম মেধিয়ে উজনি-নামনিৰ ভাষা সামৰি তেওঁৰ ব্যাকৰণখনেৰে প্রাকবৈষ্ণৱ যুগৰপৰা চলি অহা অসমীয়া ভাষা যে এটাই ভাষা— সেই কথা বিবৃত কৰিলে আৰু বাণীকান্ত কাকতিয়ে তুলনামূলক ভাষাতত্ত্বেৰে সেই কথা ফঁহিয়াই দেখুৱালে। স্বৰূপতে শঙ্কৰ-মাধৱৰ ভাষা বর্তমানৰ উজনিৰ উপভাষাতকৈ কামৰূপৰ

উপভাষাসমূহৰহে ওচৰ যেন লাগে। 'গৃহক লাগি আসে সত্রাজিত।' আনহাতে অসমীয়াত লেখা বুৰঞ্জীসমূহৰ বাক্য গাঁথনি উজনীয়া গঢ়ৰ। কথা-গুৰুচৰিতবিলাকৰ ভাষা যেন দোমোজাৰ। অৰুণোদইৰ পাতত পুৰণি অসম বুৰঞ্জীৰ অংশ প্ৰকাশ হোৱাটো দুফালৰ পৰা সহজ আছিল ঃ (১) বুৰঞ্জী সাহিত্য ধৰ্মনিৰপেক্ষ, চেকুলাৰ। (২) তাৰ ভাষা মিছনাৰীসকলে ব্যৱহাৰ কৰা ভাষাৰ কাষ চপা। ..

সি যি কি নহওক, আধুনিক অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ সময়ৰ প্ৰাৰম্ভিক বঙ্গভীতিৰপৰা অসমীয়া মানুহৰ মন মুক্ত হ'ব নোৱাৰিলে। 'বিপন্ন অসম' আৰু 'বিপন্ন অসমীয়া' এই মনোভাবে আজিকোপতি কাম কৰি আছে আৰু ই ভাষা সাহিত্যৰপৰা জীৱনৰ বিভিন্নদিশলৈ, ঘাইকৈ ৰাজনীতিলৈ গতি কৰিছে। আদৰ মালতীৰ দৰে অসমীয়া ভাষা-সংস্কৃতি যেন বঙলাৰ স্পৰ্শত জঁয় পৰি যাব— এনে এটা প্ৰবণতা। কিন্তু অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখকসকলেউনবিংশ, আদিবিঁশ শতকত বঙলাৰ আদৰ্শতে অসমীয়া গদ্যপদ্য শৈলীয়ে নতুন ৰূপ পোৱা বুলিয়েই কয়। আনকি তেওঁলোকৰ মতে ইউৰোপীয় প্ৰভাবো বঙলাৰ চালনিৰে সৰকিহে আহিছিল। ঈশ্বৰচন্দ্ৰ, বঙ্কিমচন্দ্ৰ, ৰবীন্দ্ৰনাথৰ সংযোগৰ ফল যে নঞৰ্থক নাছিল, সেইটো পাহৰি যোৱাৰো এটা প্ৰবণতা মন কৰিব পাৰি। আগতেই উনুকিয়াইছোঁ, শক্তিৰ অৱস্থানৰপৰা মানুহে চুবুৰীয়াৰ সম্পদ সহজেই সজ্ঞানে আহৰণ কৰে, কিন্তু দুৰ্বলতা থাকিলে সেই গ্ৰহণ সহজ হৈ নাথাকে, হয় লৈও নোলোৱাৰ ভাও জো�ৰা হয়, নহ'লেবা নিজৰ বস্তুকো আনৰ বুলি ভ্ৰম হয়।

ভাৰতীয় মানুহৰ পৰম্পৰা চেতনা থাকিলেও ইতিহাস চেতনা বৰ প্ৰবল নহয়। ভাৰতীয় ভাষাত বুৰঞ্জী ৰচনাৰ প্ৰচলন নাই বুলিলেই হয়। এটা কথা ভাবি আচৰিত লাগে— অসমত বুৰঞ্জী ৰচনাৰ এটা মঙ্গোল ধাৰা জীৱন্ত হৈ থকা স্বত্বেও, বুৰঞ্জীবোধৰ একান্ত অভাৱ। একমাত্ৰ গৌৰৱ কৰিবৰ বাবেই যেন আমাক ইতিহাস লাগে। ইতিহাস ৰচনা আৰু ইতিহাসবোধ নিৰপেক্ষ সাধনা। এই নিৰপেক্ষ, নৈৰ্ব্যক্তিক দৃষ্টভঙ্গীৰ অভাৱ হ'লে ইতিহাসে কেৱল পুণৰুত্থানবাদী ধাৰণাৰ জন্ম দিয়ে। পুনৰুত্থানবাদ ভৱিষ্যতমুখী সমাজ ভাষা সাহিত্যৰ গতিৰোধক। অসমীয়া মানুহ সমূহ ভাৰতীয় মানুহৰ লগত এই বিষয়ৰ এককে ভ্ৰান্তিৰে অংশীদাৰ।

আমি এতিয়া এই কথা উপলব্ধি কৰা উচিত, আমাৰ অতীতৰ সাহিত্য পৰম্পৰা, লোক জীৱন আৰু বাহিৰ বিশ্বৰ সম্পদ— এইবিলাকৰ সমন্বয়তে আমাৰ বৰ্তমানৰ সাহিত্য-সংস্কৃতি বৰ্তি থাকিব পাৰে। জাতি (যি অৰ্থতে নলওক লাগে) আৰু ভাষা জড়িতহ'লেও অবিচ্ছেদ্য নহবও পাৰে। আমাৰ চুবুৰীয়া খাচিয়া ভাষালৈ চাওক। জাতি হিচাপে তেওঁলোক হেনো মঙ্গোলীয়— ভাষাত অষ্ট্ৰিক। ভাষা ভিত্তিক জাতীয়তাবাদ আমি হয়তো বঙ্গদেশৰপৰাই আহৰণ কৰিছিলোঁ। 'সোণাৰ বাংলা'ৰ অনুজ সহোদৰ 'সোণৰ অসম'। অৰ্থনৈতিক, সামাজিক শোষণৰ বলি হোৱা মানুহ সাধাৰণতেই সংস্কৃতিপৰায়ণ হৈ পৰে, ভাষাপ্ৰৱণ হৈ পৰে। বঙ্গদেশৰো সেই অৱস্থা, বাংলাদেশৰো সেই অৱস্থা, অসমীয়াৰো সেই অৱস্থা। বাংলাদেশৰ ইতিহাস সম্ভৱতঃ মধ্যযুগীয়া প্ৰৱনতা কিছুমানৰ পৰাকাষ্ঠা। মুছলমান হিচাপে তেওঁলোক পূৰ্ব পাকিস্তানী হ'ল। আকৌ ভাষাৰ সমস্যাতে তেওঁলোক বাংলাদেশী হ'ল। তাৰ পিছত যেতিয়া ভাষাই তেওঁলোকৰ সমস্যা সমাধান কৰিব নোৱাৰিলে, তেতিয়া আকৌ মুছলমান ধৰ্মৰাজ্য পাতিলে। ইতিহাসৰ এই বিন্দুৰপৰা ধৰ্ম বা ভাষাৰ ভিত্তিত ৰাষ্ট্ৰ বা ৰাজ্য বা জিলা গঠন হোৱাটোৱেই ইতিহাস বিৰোধী কথা।

বৰ্তমান অসমীয়া মানুহৰ আৰু এটা মানসিকতা হ'ল এখন অসমীয়াভাষী ৰাজনৈতিক অসমৰ সন্ধান। বঙ্গভীতিৰ লগত এই প্ৰবণতা ইংৰাজ শাসনৰ আৰম্ভাণৰপৰাই সাঙোৰ খাই থকাৰ কথা আগতে উল্লেখ কৰিছোঁ। ১৯০৪-৬ ৰ বঙ্গভঙ্গ আন্দোলনৰ বিৰোধিতা কৰিছিল বঙালীসকলে, স্বৰূপতে বঙালী মধ্যবিত্ত সমাজে। অসমেও বঙ্গভঙ্গৰ বিৰুদ্ধে মাত মাতিছিল। কিন্তু সম্পূৰ্ণ বেলেগ কাৰণত। বঙ্গদেশ ক্ষুব্ধ হৈছিল একেখন বঙ্গক দুখন কৰাৰ বাবে, আৰু অসমীয়া মানুহে আপত্তি কৰিছিল বঙ্গদেশৰ অৰ্থাৎ বঙলা-ভাষী অঞ্চল এটা অসমৰ লগত যুটি দিয়াৰ কাৰণে। কাৰ্জনৰ বঙ্গভঙ্গ আইন ৰদ হ'ল। অসমীয়া আৰু বঙালীয়ে স্বস্তিৰ নিশ্বাস পেলালে। তথাপি কাছাৰ আৰু শ্ৰীহট্ট জিলা বঙালী ভাষী হোৱাৰ কাৰণে বঙ্গভীতি কমা নাছিল। জাতীয় কংগ্ৰেছৰ ভাষানীতিয়ে অসমীয়াক কিছু আশ্বস্ত কৰিছিল, কাৰণ কংগ্ৰেছৰ 'প্ৰদেশ'বিলাক আছিল ভাষাভিত্তিক। সেই সূত্ৰমতেই গোটেই সুৰমা-ৰাকৰ উপত্যকা B.P.C.C., বেঙ্গল প্ৰদেশ কংগ্ৰেছ সমিটিৰহে অন্তৰ্ভুক্ত আছিল, A.P.C.C. ৰ

অসম প্রদেশ কংগ্রেছ কমিটিৰ ভিতৰলৈ নাছিল। গতিকে অসমীয়া মানুহে ভাবিছিল— স্বাধীন ভাৰতত তেওঁলোকে সম্পূর্ণ অসমীয়া অসম এখন পাব। ৰাজনৈতিক মানচিত্ৰৰ সেই খণ্ডতা সকলোৱে গ্ৰহণযোগ্যও আছিল। কিন্তু যি বক্তস্ৰোতৰ মাজেদি ভাৰতলৈ স্বাধীনতা আহিল তাত সেই সম্ভাৱনাও নোহোৱা হৈ গ'ল। ৰেডক্লিফ এৱাৰ্ডৰ পিছত শৈল শৃঙ্গৰ ওপৰৰ অসমৰ ৰাজধানীৰপৰা ব্ৰহ্মপুত্ৰ আৰু ৰৰাক উপত্যকাৰ দুটা ভাষাৰ দাবীৰ ওপৰত শাসকসকলে সমান দৃষ্টিৰে চাবলৈ চেষ্টা কৰি থাকিল। অসমীয়া আকৌ অসন্তুষ্ট হ'ল। ...

অসমীয়া সকলৰ বাবে নিজ ভাষাৰ সাৰ্বভৌমত্বৰ ধাৰণাত দ্বিতীয় আঘাত পৰিল ব্ৰহ্মপুত্ৰ উপত্যকাত। অসমৰ ৰাজনৈতিক মানচিত্ৰত থকা কাৰণে আৰু অসমীয়া ভাষাটো সংযোগক ভাষা হিচাপে ব্যৱহাৰ কৰা কাৰণে যিসকলক আমি বৃহত্তৰ অসমীয়া জাতি এটা বুলি এটা বায়বীয় ধাৰণাৰে নিজক আশ্বস্ত কৰি আছিলোঁ, সেই ধাৰণাটোও আহত বা ব্যাহত হ'ল। অসমীয়া ভাষা ব্যৱহাৰ কৰা বহুতো মানুহে আমাৰ 'মাতৃভাষা' বুলি ক'বলৈ ইচ্ছা নকৰা হ'ল। এই মানুহখিনিক আধুনিক ৰাজনৈতিক পৰিভাষাত বোলা হয় জনজাতি, সুনীতি কুমাৰ চট্টোপাধ্যায়ে বুলিছে হিন্দ্ মঙ্গোলীয় (Indo Mongoloid) আৰু ব্যৱহাৰ কৰিছে প্ৰাচীন কিৰাত শব্দটো। ইতিমধ্যে আহোম-কোঁচ ৰাজত্বৰ সময়তে বহুতো কিৰাত জনগোষ্ঠীয়ে নিজস্ব ভাষা হেৰুৱাই পেলাছিল সঁচা— কোঁচ ৰাজবংশী, ঠেঙাল, সোনোৱাল আদিয়ে। দাঁতিকাষৰীয়া মিছিং, আদি আৰু নগা খুলৰ লোকসকলে দ্বিতীয় ভাষা, সংযোগী ভাষা আদিৰ ৰূপত সাধাৰণভাৱে অসমীয়া ব্যৱহাৰ কৰি থাকিল। পশ্চিম অসমত কছাৰীসকলে (যিসকলে এতিয়া বৈজ্ঞানিকভাৱে ব'ড' (Bodo) বোলা হয়) অসমীয়া ভাষা ব্যৱহাৰ কৰিলেও তেওঁলোকৰ বহুতেই দ্বিভাষী আছিল। ব'ড', ৰাভা আদি ভাষা তেওঁলোকৰ নিজা ভাষা আৰু অসমীয়া আছিল আহৃত ভাষা। এই জনগোষ্ঠীসকলৰ বহুতেই অসমীয়া ভাষাত লেখাপঢ়া আৰু সাহিত্য ৰচনা কৰাৰ কাৰণেই তেওঁলোকো অসমীয়াৰ লগত জীণ গ'ল বুলি ভাবি লোৱা হ'ল.... ধৰি লোৱা হ'ল এই সকলো লোকৰে 'মাতৃভাষা' অসমীয়া। বৃহত্তৰ বঙ্গৰ আদর্শত গঢ় লোৱা এৰ অসমৰ ধাৰণাই আমাক ইমানেই মোহাচ্ছন্ন কৰি পেলাইছিল। অতি বহস্যময় আমাৰ আধুনিক অসমৰ সংস্কৃতিৰ প্ৰবাদ পুৰুষ বিষ্ণুপ্ৰসাদ ৰাভা। অসমৰ অন্ততঃ দুটা থলুৱা ভাষা তেওঁৰ আয়ত্তৰ ভিতৰত আছিল— অসমীয়া আৰু বড়ো। কোনটো তেওঁৰ আহৃত ভাষা আছিল, কোনটোৱেইবা 'মাতৃভাষা' আছিল? ভাৰতৰ লোকপিয়লৰ সূত্ৰমতে জানিবলগীয়া হয়, কোনটো ভাষাত বিষ্ণুপ্ৰসাদ ৰাভাৰ মাতৃয়ে ৰাভাৰ শিশুকালত কথা পাতিছিল! আকৌ ৰাভা উপাধিৰে কোনো বড়ো মানুহৰ পৰিচয় হোৱাটো ৰাভাসকলে ভাল নাপাবও পাৰে কাৰণ ৰাভাসকলে নিজকে হয়তো ব'ড'সকলতকৈ পৃথক বুলিয়ে ভাবে! এনেবোৰ কথা ভাবি নিজকে পলসৰ বোকাত সোমাই পৰা যেন লাগে। পলসত পৰা মানুহ বগুৱা বাইহে আহিব পাৰে! কিন্তু বাণীকান্ত কাকতিৰ সহায়-হাত যেন মোৰ ফালে আগবাঢ়ি আহে ঃ

"অসমত অসংখ্য ভাষাভাষী মানুহৰ সমাবেশ। চাৰিওফালে বেঢ়ি থকা পৰ্বতীয়া ভাষাবোৰৰ ভিতৰত অসমীয়া ভাষা এটা সৰু দ্বীপৰ দৰে। ইমানবোৰ ভাষাভাষীৰ ঠেলা-হেঁচাত হয় অসমীয়া ভাষা বুৰ গ'লহেঁতেন, নহয় ই বিকৃতাকাৰ হ'লহেঁতেন। বৈষ্ণৱ কবিসকলে অসমীয়া ভাষাক আশ্ৰয় কৰি সাৰ্বজনীন শিক্ষা দিয়াৰ ব্যৱস্থা কৰাত অসমীয়া ভাষা জাতীয় ভাষা ৰূপে পৰিগণিত হ'ল; আৰু পৰ্বতীয়া ভাষাৰ শব্দ চোৰাংকৈ ইয়াত সোমালেও কোনো আদিম ভাষাই ইয়াৰ মৌলিক ৰূপত প্ৰভাব বিস্তাৰ কৰিব পৰা নাই।" (কাকতি ঃ পুৰণি অসমীয়া সাহিত্য)

এইখিনি কথা হয়তো বাণীকান্ত কাকতিয়ে বৈষ্ণৱ যুগৰ ভাষাৰ প্ৰসঙ্গতে কৈছিল। পিছৰ যুগত আমি একে প্ৰক্ৰিয়াৰে পুনৰাবৃত্তি দেখিছোঁ এটা বেলেগ স্তৰত। অসমৰ জনজাতীয় ভাষা-ভাষীসকলৰ নিজা ভাষা থক। সত্ত্বেও আধুনিক শিক্ষা-দীক্ষাৰ সুবিধাৰ বাবে তেওঁলোকে চুবুৰীয়া অসমীয়া ভাষা আয়ত্ত আৰু চৰ্চা কৰিছিল বা কৰে আৰু সাংস্কৃতিক প্ৰয়োজনতো তাক ব্যৱহাৰ নকৰাকৈ নাথাকে। কিন্তু সেইবাবেই তেওঁলোকৰ সকলোৱে নিজভাষাৰ অস্তিত্ব বিলুপ্ত হৈ যোৱা নাছিল। এটা কথা আমি সততে পাহৰি যাওঁ— অসমীয়া উপভাষাবিলাকৰ দৰে বড়ো, মিছিং, ৰাভা আদি ভাষা অসমীয়াৰ উপভাষা নহয়। এইবিলাক সম্পূর্ণ বেলেগ গোষ্ঠীৰ ভাষা। পণ্ডিতীয়া মতে ক'বলৈ হ'লে সেইবোৰ তিব্বতবৰ্মী ভাষা। সিবিলাকৰ তুলনাত বঙলা ভাষা বা তাৰে উত্তৰ বঙ্গৰ উপভাষাৰ লগত অসমীয়া ভাষাৰ সম্বন্ধ ওচৰ। সেইবোৰ অসমীয়াৰ দৰেই আৰ্যগোষ্ঠীসম্ভূত। একালৰপৰা ইংৰাজ যুগৰ ভৌগলিক মানচিত্ৰৰপৰা জাতি-জনজাতিৰ ধাৰণাত কবিতা যিমান, বাস্তৱতা তাতকৈ কম। লিখিত

সাহিত্যৰ কেইবাশ বছৰীয়া বৰ্ণাঢ্য ইতিহাসেৰে সমৃদ্ধ অসমীয়া ভাষা এতিয়া আৰু বিপন্ন বুলি অন্ততঃ মোৰ মনে নধৰে। ব্ৰনচন চাহাবে যিটো অসমীয়া ভাষা ব্ৰহ্মপুত্ৰৰ সোঁতৰ দৰে বৈ থাকিব বুলি আমাক আশ্বাস দিছিল (তাত তেওঁ কামৰূপী ভাষাৰ উচ্চাৰণৰ পাৰ্থক্য কথাত অলপ সন্দিগ্ধ আছিল) তাতকৈ প্ৰবলতৰ আৰু ব্যাপক ৰূপত অসমীয়া ভাষা বৈ থাকিব, যদিহে আমি ভাষাক ধৰ্মৰ বা জাতিৰ ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ নকৰি সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ সাধনত তাৰ প্ৰয়োগ কৰোঁ। সাহিত্য বুলিলে যিটো ভাবমূৰ্ত্তি মোৰ মনলৈ আহে, তাত কথা, গীত, কবিতা, নাট্য সকলো একাত্ম হৈ থাকে। দৰচলতে নাট আৰু গীতৰ দৰে সৰ্বজনগ্ৰাহ্য মাধ্যম আৰু একো নাই। পাৰোঁতেনো শঙ্কৰদেৱে নাটৰ আশ্ৰয় লয়নে? প্ৰায় আবেগময়ী ভাষাৰে মোৰ ক'বৰ মান গৈছে— অতীতৰ মানচিত্ৰৰ বিভিন্ন ৰাজ্যত যেনেকৈ অসমীয়া ভাষা চলি আছিল অসমীয়া ভাষাই ৰাজনৈতিক বাধা অতিক্ৰম কৰিও আপোন সাংস্কৃতিক ঐশ্বৰ্যৰে বৰ্তি থাকিব। মোৰ স্বপ্নৰ পৃথিৱীখন বাবিলৰ আগৰ যুগলৈ ঘুৰি যাব নোৱাৰে সঁচা, কিন্তু ভাষাই ভাষাই বিবাদৰ তাত থল নাই। তাত বন্ধুভাৱে বিভিন্ন ভাষা ওচৰা-উচৰিকৈ থাকিব। পাৰিলে এটা ভাষা কোৱা লোকে আন ভাষা শিকিব বা প্ৰয়োজন হ'লে অনুবাদ কৰি ল'ব। স্বাৰ্থই বোৱা নকৰিলে পৃথিৱীত দ্বিভাষী লোকৰ কোনো কালেই অভাব নহয়।

কেইটামান অভাবনীয় (ঘাইকৈ ইউৰোপীয়) ধাৰণাই আমাৰ চিন্তাক সততে বিব্ৰত কৰি আহিছে: Religion অৰ্থত ধৰ্ম, Nation জাতি, আৰু এটা শব্দ Mother tongue ,যাক আমি মাতৃভাষা বুলি অনুবাদ কৰি লৈছোঁ। Nation, Sub-nation আদি ধাৰণাবোৰো আজিৰ বিদ্বান সমাজত ক্ৰমে ক্ষয় যাবলৈ ধৰিছে। এতিয়াৰ নৃতাত্ত্বিকে race শব্দটো কেৱল শৰীৰতত্ত্বৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰে। Tribe শব্দটোৰ নৃতাত্ত্বিক বৰ্ণনা হ'ল— যিবিলাক জনগোষ্ঠীৰ নাম চৰকাৰে সেই বুলি পঞ্জীয়ন কৰিছে, সেইবিলাক। সংজ্ঞাৰ যুগ উকলিছে, বৰ্ণনাৰ যুগ চলিছে এতিয়া। আধুনিক নৃতত্ত্বতো সেই শব্দটোৰ কোনো সৰ্বজনগ্ৰাহ্য সংজ্ঞা নাই। জাতি বৰং প্ৰজাতি হিচাপে এটাই— মানুহ জাতি— Home sapiens sapiens! আৰু আমাৰ দৈনন্দিন পৰিভাষাত সেই শব্দটো হ'ল মানুহ। জাতি এটা ধাৰণা মথোন, কিন্তু ভাষা এটা বাস্তৱ সত্য। দেশ শব্দটোৰে প্ৰাকৃতিক ভূগোলৰপৰা গৈ ৰাজনৈতিক ভূগোলত থিতাপি লৈছেগৈ।

মাতৃভাষা বোলা ধাৰণাটোও ভাৰতীয় ভাষাচিন্তাৰ প্ৰয়োগ নহয়। সংস্কৃত ভাষাৰ প্ৰামাণ্য অভিধানসমূহত মাতৃশব্দৰ লগত যুক্ত হোৱা বহুতো যুক্ত শব্দ আছে, মাতৃভাষা শব্দটো নাই। আনন্দৰাম বৰুৱা বা ৰামন নাৰায়ণ আপ্তেৰ ইংৰাজী-সংস্কৃত অভিধানত Mother tongue ৰ অৰ্থ হিচাপে 'মাতৃভাষা' বুলি শব্দ এটা দিয়া হৈছে সঁচা, কিন্তু সংস্কৃত সাহিত্যৰপৰা তাৰ কোনো নিদৰ্শন দাঙি ধৰা নাই। আপ্তে বা মণিয়েৰ উইলিয়ামচৰ সংস্কৃত-ইংৰাজী অভিধানত শব্দটো নাই। প্ৰসঙ্গক্ৰমে ক'ব পাৰি, butterfly শব্দটোৰ কোনো সংস্কৃত প্ৰতিশব্দ সংস্কৃত সাহিত্যত নাই। আনন্দৰাম বৰুৱাই প্ৰশ্নবোধক চিনেৰে তিত্তিলি আৰু পিপ্পিলি বুলি দুটা আনুমানিক শব্দ দিছে আৰু আপ্তেই 'চিত্ৰ-পতঙ্গ' বুলি এটা নকৈ সজা শব্দেৰে সেই অৰ্থ ব্যক্ত কৰিছে। তেওঁৰ সংস্কৃত অভিধানত সেই শব্দ নাই।

সেইদৰে ইংৰাজী Mother tongue শব্দটোৰ অনুবাদ হিচাপেই মাতৃভাষা শব্দটো ব্যৱহাৰ কৰা হৈছে, সাহিত্য বা পৰম্পৰাত ব্যৱহৃত শব্দ সি নহয়। অতি সৰলীকৃত ৰূপত ক'বলৈ হ'লে ভাৰতীয় ভাষা চিন্তাত তিনিটা শব্দ পোৱা যায়: ছান্দস আৰ্ষাৎ বেদৰ ভাষা, প্ৰাকৃত অৰ্থাৎ সাধাৰণ মানুহৰ (কথ্য) ভাষা আৰু সংস্কৃত। সংস্কৃত আছিল শিষ্টজনৰ ভাষা, পৰিশীলিত ভাষা আৰু সেই হিচাপে মান্য বা শিষ্ট ভাষা। ভাৰতীয় ভাষাচিন্তাৰ এই বৃহদ্‌বিশ্বীয় (macrocosmic)ধাৰণাৰ ক্ষুদ্ৰবিশ্বীয় (microcosmic) প্ৰয়োগ দেখোঁ মধ্যযুগত জন্ম লাভ কৰা ভাৰতীয় ভাষাসমূহত— সংস্কৃত কূপ জল, ভাষা বহতী নীৰ! ভাষা আৰু সংস্কৃত। লাক্ষণিক অৰ্থত কথ্য ভাষা আৰু মাৰ্জিত (লিখিত) ভাষা। এই সূত্ৰ প্ৰয়োগ কৰিলে আমি অনুভৱ কৰিব পাৰিম অসমীয়াৰ বিভিন্ন কথ্য ৰূপবিলাক 'ভাষা' আৰু সকলোৰে গৃহিত ভাষাটো হ'ল সংস্কৃত। আমি বৰ্তমানে ব্যৱহাৰ কৰা অসমীয়া শব্দটো এটা কথ্য ভাষাৰ ভিত্তিত গঢ় লৈ উঠা সংস্কৃত অৰ্থাৎ পৰিশীলিত ৰূপ। পৰশীলনৰ যোগেদি ভাষাই একোটা সৰ্বজনগ্ৰাহ্য ৰূপ লয়— মই এতিয়া ভাষাত কথা ক'বলৈ চেষ্টা কৰিছোঁ, সেইটো তেনে ৰূপৰে আদৰ্শ।

আমি এতিয়া যি ভাষাটোক অসমীয়া ভাষা বুলি কওঁ, সেইটো আপোনালোকে জানে— উজনি অসমৰ প্ৰায় ডেৰশ বছৰৰ আগৰ কথিত ৰূপ এটাৰ ভিত্তিত গঢ় লৈ উঠিছে। দেখাত এই ডেৰশ বছৰত ইয়াৰ গাঁথনিত বিশেষ পৰিবৰ্তন ঘটা নাই।

এই ভাষাটো বর্তমানৰ অসমৰ বাসিন্দাসকলৰ কাৰো মাতৃভাষা নহয়, বা হৈ থকা নাই। দৰং, কামৰূপ, গোৱালপাৰাতো নহয়েই— আনকি উজনিৰ কথ্য ভাষাও নহয়। এতিয়ালৈকে বিভিন্ন ভৌগলিক মানচিত্ৰতদেখা অসমৰ নানান মানুহৰ প্ৰথম অথবা দ্বিতীয় ভাষা হৈ এতিয়া এই ভাষাটো তিষ্ঠি আছে। মাতৃভাষাৰ আবেগময় ধাৰণাৰে ইয়াৰ এই স্থিতি লৰচৰ কৰিলে কাৰ বিপদ কোনে জানে?

জনজাতীয় ভাষাবিলাকৰ লগত অসমীয়া ভাষাৰ সম্বন্ধৰ বিষয়েও মই বাণীকান্ত কাকতিপন্থী। আমাৰ বহুতৰ মুখত শুনো, অসমীয়া অভিধানত জনজাতীয় শব্দ পোৱা নাযায়। আমি বিভিন্ন জনগোষ্ঠীবপৰা শব্দ আনি আমাৰ অভিধানত অন্তৰ্ভুক্ত কৰিব লাগে! যদি কোৱা হয়, ভাষাৰ ব্যৱহাৰ হ'লেহে অভিধানৰ অন্তৰ্ভুক্ত হয়, তেতিয়া তেওঁলোকে ঘপৰাই কয়, তেনেহ'লে ভাষাতে ব্যৱহাৰ কৰক! এনে এটা পৰীক্ষা অসমৰ শিক্ষাবিভাগৰ এটা শাখাই এসময়ত কৰিছিল। অসমীয়া আখৰ চিনাকিৰ কিতাপ এখনত মিছিং, কাৰবি, বড়ো, আদি ভাষাৰ গীত সুমুৱাই দিছিল। স্বাভাৱিকতেই অসমীয়া পঢ়া ছাত্ৰ-শিক্ষক কোনেও তাত দন্তস্ফুট কৰৰ নোৱাৰিলে। ভাষা এনে কৃত্ৰিম ব্যৱস্থাৰে চহকী নহয়। এনে কৃত্ৰিম ব্যৱস্থাৰে কোনো প্ৰকাৰৰ সংহতিও সম্ভৱ নহয়। শতকৰা হিচাপত জনসংখ্যাৰ অনুপাত অনুসৰি বিভিন্ন ভাষাৰ শব্দ বুটলিআনি এটা অসমীয়া এচপাৰাণ্টো, এটা কৃত্ৰিম ভাষা সৃষ্টি কৰাটো সম্ভৱপৰ নহয় আৰু তাৰ প্ৰয়োজনো নাই। ভাষাৰ ক্ষেত্ৰত সকলো মানুহক একাত্ম অনুভৱ কৰাৰৰ বাবে এটা প্ৰচেষ্টা হৈছিল— এটা বিশ্ব ভাষাৰ সৃষ্টি কৰি। যোৱা শতকত ইউৰোপত এই আন্দোলনে ইউৰোপৰ মুখ্য ভাষাবিলাকৰ সাধাৰণ শব্দ আৰু বাক্য গাঁথনিৰ যোগেৰে 'এচপাৰাণ্টো' Esparanto নামেৰে এটা কৃত্ৰিম ভাষা সৃষ্টি কৰিছিল সম্ভাব্য বিশ্বভাষা ৰূপে।

এজন ৰুচ ভাষাতত্ত্ববিদে উদ্ভাৱন কৰা এই ভাষাক টলষ্টয়েও আদৰণি জনাইছিল। এতিয়াও এচপাৰাণ্টো একপ্ৰকাৰে চলি আছে। বিডাৰ্ছ ডাইজেষ্ট বোলা বহুভাষিক আলোচনীখনৰ এচপাৰেণ্টো সংস্কৰণ একোটাও প্ৰকাশ কৰা হয়। এচপাৰেণ্টো শব্দটো 'আশা' বুজোৱা কিন্তু অপ্ৰচলিত এচপাৰাল' শব্দটোৰপৰা লোৱা। কিন্তু তাৰে বিশ্বক এক কৰাটো 'দুৰাশা' হৈয়েই থাকিল। তাৰ কাৰণ হ'ল— ইয়াৰ এটা জৈবিক চৰিত্ৰ আছে, ভাষাৰ আঁৰত সুখ-দুখে ৰে ভৰা এখন মানুহৰ সাধাৰণ সমাজ থাকে। তাত বস্তু আৰু ভাষাৰ বিনিময় চলে। কৃত্ৰিমভাৱে কৰা ভাষাত তাৰ অভাৱ হয়। অতিমাত্ৰা নিয়মৰ শিকলিৰে বন্ধা অতি পৰিশীলিত সামাজিক ভাষাও কেতিয়াবা জীৱনীশক্তিৰহিত কৃত্ৰিম ভাষা, ৰবৰৰ ভাষা যেন হৈ পৰে। 'মান্যভাষা'ৰ সন্ধানত, বহল ভিত্তিক ভাষাৰ সন্ধানত, কেতিয়াবা ইতিহাসসিদ্ধ ভাষাৰো তেনে দুৰ্দশা হয়। এতিয়াৰ সাংবাদিকতাৰ ভাষাত, গণমাধ্যমৰ ভাষাত এই নিৰীজতা সততে পৰিলক্ষিত হয়। কালিদাসৰ পিছৰ আৰু জয়দেৱৰ আগত সংস্কৃত কাব্যৰো একেই অৱস্থা হৈছিল। প্ৰাকৃত অন্ত্যানুপ্ৰাসেৰে জয়দেৱে দৰাচলতে সংস্কৃত কাব্যক নৱজন্ম আৰু মৃত্যু— দুয়োটা দিলে। সংস্কৃত পচন সাৰৰ ওপৰত গজি উঠিল ভাৰতীয় ভাষাৰ শস্য। আৰু শব্দই জানো ভাষা? ভাষাৰ প্ৰকৃত চৰিত্ৰ থাকে তাৰ বাক্যগাঁথনিত। মানুহৰ সংযোগ বঢ়ালে শব্দ বাঢ়িব; কিন্তু ভাষাৰ গাঁথনি সহজে লৰচৰ নহয়। বাণীকান্ত কাকতিৰ সঁকীয়নি আমি যেন পাহৰি নাযাওঁ। আৰু এটা কথা মনত ৰাখিব লাগিব— অভিধান বৰ্তমান আৰু অতীতৰ ভিত্তিত ৰচিত হয়, ভৱিষ্যতে ব্যৱহাৰ কৰিব পৰা হ'ব বুলি শব্দ সংগ্ৰহ কৰা কোনো অভিধানৰ সংবাদ মই অন্ততঃ নাপাওঁ।

এইখিনিতে এটা কথা উনুকিয়াব খুজিছোঁ। ভাৰতীয় জাতীয় মহাসভাৰ (কংগ্ৰেছৰ) 'ভাষিক ৰাজ্য' বোলা এটা ধাৰণাই পৰিস্থিতিৰ পাকচক্ৰত ভাষিক ৰাজ্য গঠনৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰি দিলে। সি আগৰ সমস্যাবোৰৰ সমাধান কৰিলে নে নাই ক'ব নোৱাৰি, কিন্তু মই এটা কথা ক'ব খোজো — ধৰ্মক যিদৰে আমি শাসনযন্ত্ৰৰ বাহিৰৰ বুলি গন্য কৰো, সেইদৰেই ভাষাকো ৰাজনীতিৰ ক্ষেত্ৰৰপৰা, শাসনযন্ত্ৰৰপৰা আঁতৰত ৰাখিবলগীয়া হ'বই; কাৰণ, পৃথিৱীত বৰ্তমানে এনে দহ বৰ্গকিলোমিটাৰ ঠাই নাই য'ত কেৱল এটা মাথোন ভাষা ব্যৱহাৰ হয় বা এটা মাথোন জনগোষ্ঠী বাস কৰে। ভাষাভিত্তিক ৰাজ্য বা ৰাষ্ট্ৰ বা শাসনব্যৱস্থাৰ ধাৰণাটোৱেই ইতিহাসৰ আবৰ্জনা হৈ পৰাৰ সম্ভাৱনা। যিসকলে ভাৰততে এই ধাৰণাৰ পাতনি মেলিছিল, তেওঁলোক সৎ লোক আছিল সঁচা, কিন্তু ভাৰতৰ ভাষাসমূহৰ মানচিত্ৰণ তেওঁলোকৰ মনত অস্পষ্ট আছিল উত্তৰ ভাৰতৰ আৰ্যগোষ্ঠীসম্ভূত ভাষাকেইটা আৰু দক্ষিণৰ দ্ৰাবিড়মূলীয় ভাষাকেইটাৰ লগতেই তেওঁলোক পৰিচিত আছিল; সেই সকলোবোৰ জাতি গঠন প্ৰক্ৰিয়াত লুপ্ত হৈ যোৱা বুলি ভাবিছিল। কিন্তু ভাষাভিত্তিক ৰাজ্যৰ দৰ্শনে এই ভাষাবোৰবো যে সঞ্জীৱনী ৰূপে কাম কৰিব সেই কথা

তেওঁলোকে কল্পনা কৰিব পৰা নাছিল। তেওঁলোকৰ চিন্তা সীমাবদ্ধ দৃষ্টিৰে প্ৰস্তুত আঁচনিয়েও যে দেশৰ ভবিষ্যত বিপন্নকৰিব পাৰে, সেই কথা আমি পলমকৈ হ'লেও ভাবিব পাৰোঁ। Sankritisation বা আৰ্যীকৰণ বোলা প্ৰক্ৰিয়াটো, অথবা তথাকথিত জাতিগঠনৰ প্ৰক্ৰিয়াটো এতিয়া প্ৰায় স্তব্ধ। এতিয়া retribalisation ৰ প্ৰক্ৰিয়াহে যেন পৰিলক্ষিত হৈছে। সেইটোও বন্ধ হ'বলৈ বাধ্য হব, কাৰণ শিপাৰ সন্ধানত জীৱনৰসে শিপা অভিমুখে যাত্ৰা নকৰে। আধুনিক বৈজ্ঞানিক সংস্কৃতিৰ ঘাই সুঁতিৰ লগত যুক্ত নহ'লে কোনো জাতি-জনজাতিৰ সভ্য আৰু মানবীয় ভৱিষ্যত নাই।

এই প্ৰায় এঘণ্টা সময় কেৱল ভাবৰ অনুষঙ্গকে ভিত্তি কৰি, হয়তো অপ্ৰাসঙ্গিক এই কথাবোৰকে কৈ আছোঁ। এইবোৰ মোৰ সাহিত্য আৰু জীৱনৰ বাটত বা সোঁতত গোট খোৱা জাঁজৰি মাথোন। চিন্তাৰ পৰিপক্কতা বা বিশেষ জীৱন দৰ্শনৰ ভিত্তিত কথাবোৰ শৃঙ্খলা লগাই কোৱাৰ বাবে চিন্তাৰ গভীৰতা মোৰ নাই। মই জনা মানুহ নহয়, ভবা মানুহ মাথোন। মই জানো— 'মাতৃভাষা' শব্দটো আধুনিক অভিধানৰপৰা লুপ্ত হৈ নাযায়। মই কেৱল এই কথাটোৰেই দোহাৰিব খোজোঁ— ভাষা জৈৱিক পৰম্পৰাৰে মানুহৰ মাজেদি বৈ নাথাকে, ই মানুহৰ এটা আহৃত সম্পদ। এনেদৰে আবেগমুক্ত চিন্তাৰেহে অসমীয়া ভাষাৰো চৰিত্ৰ বুজিব পাৰি।

আপোনাসকলৰ বহুতেই হয়তো ভাবিছে, সাহিত্য সভাৰ সভাপতিজনে ভাষা সাহিত্যৰ বিভিন্ন দিশৰ আলোচনা কৰিব আৰু বিভিন্ন কৰ্ম আঁচনিৰে সাহিত্য সভাৰ ভবিষ্যত ৰচনা কৰাত দিহা-পৰামৰ্শ দিব। কিন্তু নিজৰ সীমাবদ্ধতাৰ কথা জানিয়েই মই তেনে কামৰপৰা বিৰত থাকিম। যোৱা ৭২ বছৰে অসম সাহিত্য সভাৰ সভাপতিসকলে বিভিন্ন আঁচনি লৈছে আৰু ভবিষ্যতৰ দিক্‌নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিছে। কোনো কোনো আঁচনি ফলৱতী হৈছে, কোনো কোনোবোৰ হোৱা নাই, কোনোবোৰ এতিয়াও চলি আছে। মোৰ তেনে কোনো বিশেষ আঁচনি নাই কাৰণে মই কিছু বিব্ৰতও হৈছো এতিয়া। লিপি, আখৰ জোঁটনি আদিৰ বিষয়ে কিছু কথা হয়তো ভাবি চাব পাৰি, সংস্কাৰ বা সংশোধন নহয়, মূল্যায়ন হিচাপে।

আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগত লিপি আৰু প্ৰকৃতাৰ্থত লিপি হৈ থকা নাই, টাইপলৈ ৰূপান্তৰিত হৈছে। মুদ্ৰাযন্ত্ৰৰ আগতে আমাৰ লিপি পদ্ধতি আৰ্থাৎ আখৰৰ গঢ় বৰ নিৰ্ধাৰিত নাছিল। 'অৰ কৃপা কৰু' অৰহু পাকৰু' হোৱাৰ কাৰণ হ'ল— পুৰণি অসমীয়া কৃ আখৰটো দেখাত আধুনিক হু আখৰৰ দৰে হোৱাটো। লিপ্যন্তৰৰ লেঠাই বুৰঞ্জী পুথিতো মিকৃগৰ (Mac Gregor) নামটো 'মিহ্নগড' ৰূপে ছপাইছিল। এইবোৰ বাৰু ভ্ৰান্তিবিলাস! কিন্তু আমি বাঞ্ছা কৰা বহুতো সৱলীকৰণ মুদ্ৰাযন্ত্ৰই অতি সহজেই সম্পন্ন কৰিছে। ৰূপ পৰিবৰ্তন হোৱা যুক্তাক্ষৰৰ সংখ্যা কমি আহিছে। ক্ৰ ক্ৰ হৈছে, ৰু ৰূ বু বূ হৈছে, আৰু হোৱাৰ সম্ভাৱনা আছে। পণ্ডিতৰ প্ৰস্তাৱে কৰিব নোৱাৰা কাম প্ৰযুক্তিবিদ্যাই সহজে কৰে।

তাৰ পিছত আখৰ জোঁটনি, আখৰৰ সংখ্যা ইত্যাদি। ব্ৰনচনৰ সৱলীকৰণ হেমচন্দ্ৰই পূৰ্ণ হ'বলৈ নিদিলে। কেৱল উচ্চাৰিত শব্দটোতে হেমচন্দ্ৰ ক্ষান্ত নাথকিল, তেওঁ শব্দৰ শিপা খান্দিহে আখৰ জোঁটনি থিৰ কৰাত লাগিল। তেওঁৰ খন্দা পদ্ধতি বা আহিলা আধুনিক মতে বৰ বৈজ্ঞানিক হয়তো নাছিল, কিন্তু সংস্কৃত ছাত্ৰ শব্দৰপৰা হোৱা ছাতৰ শব্দটোত দ্বিতীয় ছ আৰু দন্ত ত-ৰ বাহিৰে আন ধৰণে লেখাটো নিবিচাৰিলে। তেওঁৰ বানান-পদ্ধতি ধ্বনিভিত্তিক নাছিল, আছিল লিপিভিত্তিক। ছপা হেমকোষৰ বয়স এতিয়া এশ বছৰৰ ওচৰা উচৰি। নতুন বানান আৰম্ভ কৰা অৰুণোদই অৱশেষত তেওঁৰ কাৰণেই 'অৰুণোদয়' হ'ল এতিয়া হেমকোষৰ বানান-পদ্ধতি অ লপ ৰদ-বদল কৰিলেও হয়তো সম্পূৰ্ণ উৎপাটিত বা স্থানচ্যুত কৰাটো সম্ভৱ নহ'ব। যোৱা এশ বছৰে সেইখন আৰু সেইখনৰ ছাঁ-ত গজা চন্দ্ৰকান্ত আদি অভিধানবিলাকে যি দখলীস্বত্ব লৈছে, তাৰ ঠাইত এটা ত, এটা স হয়তো নচলিব। অসম সাহিত্য সভাৰ মাৰ্কিন অধ্যায়ৰ কম্পিউটাৰ চৰ্চিত প্ৰচেষ্টাইও হয়তো যাদুৰাম ব্ৰনচনক পুনঃসংস্থাপিত কৰিব নোৱাৰিব।

আমি জনাত পৃথিবীৰ কোনো লিপিযুক্ত ঐতিহ্যশীল ভাষাতে এতিয়া সম্পূৰ্ণ বৈজ্ঞানিক আৰু উচ্চাৰণৰ লগত সম্পূৰ্ণ খাপ খোৱা লিপি পদ্ধতি নাই, কাৰণ লিপিতকৈ ভাষা গতিশীল। বাৰ্ণাৰ্ড শ'ই বৰ্তমান ইংৰাজী বানান পদ্ধতিক ইতিকিং কৰি কৈছিল— ইংৰাজীত fish শব্দটো ghoti বুলিও লেখিব পাৰি, যদি ghটোৰ উচ্চাৰণ enough ৰ পৰা লোৱা হয়, womenৰ o টোতে পোৱা যাব ই (i) আৰু nation ৰ tiতে পোৱা যাব sh. গতিকে ghoti হ'ব fish, কিন্তু বাৰ্ণাৰ্ড শ'ৰ দৰে বুদ্ধিমান আৰু জ্ঞানী লেখকৰ তীব্ৰ ব্যঙ্গইও women শব্দটো wiman কৰিব পৰা নাই। আমেৰিকাত হোৱা বানান

সংস্কাৰে labour ক lobor কৰিছে, কিন্তু women women হৈয়েই আছে।

আচলতে ঐতিহ্য বা পৰম্পৰামণ্ডিত ভাষা এটাৰ ক্ষেত্ৰত সাক্ষৰতা বা লিপিজ্ঞান এটা পবিত্ৰ সাংস্কৃতিক বোজা। এই বোজাৰ উত্তৰাধিকাৰ বহন কৰিব নোখোজা লোকসকল বৃথা বিপ্লবী। পুৰণি লিপি থকা কোনো এটা ভাষাৰ লেখন পদ্ধতি সম্পূৰ্ণৰূপে ধ্বনি-ভিত্তিক হৈ থকা নাই। ভাবলিপি বা চিত্ৰলিপিৰ কথা একেবাৰে থ'কেই। (IPA Symbols) প্ৰয়োগ তেনে বৈজ্ঞানিক ক্ষেত্ৰতেই হয়। কোনো ভাষাই IPA প্ৰতীকবোৰ নিজৰ লিপি হিচাপে প্ৰয়োগ কৰা নাই। তামিল ভাষাৰ প্ৰখ্যাত কবি সুব্ৰহ্মণ্য ভাৰতী নামটো তামিল বৰ্ণমালাৰ সাধাৰণ উচ্চাৰণমতে পঢ়িলে হয় চুপাৰামণ্যম পাৰতী, কাৰণ তামিল বৰ্ণমালাত বৰ্গৰ অঘোষ বৰ্ণৰপিছতেই আনুনাসিক বৰ্ণ, ঘোষ আৰু উষ্মবৰ্ণ নাই। অৰ্থাৎ 'ক'ৰ পিছতেই 'ঙ', 'প'ৰ পিছত 'ম'। ফ ব ভ বুজোৱা আখৰ নাই। অঘোষ বৰ্ণৰ পিছতেই আনুনাসিক বৰ্ণ! অথচ তাৰেই তেওঁলোকে সংস্কৃতজ শব্দও উচ্চাৰণ কৰে; 'পাৰতী' লেখে .... কিন্তু উচ্চাৰণ 'ভাৰতী'য়েই কৰে। বানান এটা গৃহিত প্ৰথা মাথোন। এই বোজা তেওঁলোকে আপোন ভাষাৰ মৰ্যাদাৰ বাবে আনন্দৰেই বহন কৰে। সেইবাবে আধুনিক অভিধানকাৰে নানানসংকেতেৰে শব্দৰ উচ্চাৰণৰ কথা বুজায়।

সাক্ষৰতাৰ এই বোজা ব'ব নোখোজাসকলৰ বাবে সাহিত্যৰ মাজেৰে পোৱা আনন্দৰ কোনা মূল্য নাই। ভাষাক তেওঁলোকে আদিম যুগলৈ পঠিয়াই দিব খোজে— তেওঁলোক আধুনিক 'অডিঅ' ভিজুৱেল' পদ্ধতিতেই সুখী আৰু জ্ঞানী হৈ থাকক আৰু এক নব্যনিৰক্ষৰতাত অহিংগা যোগাওক। আখৰৰ ক্ৰুচ ভাষাৰ যীচুবোৰে ব'বই লাগিব।

আগতে এবাৰ উনুকিয়াইছিলোঁ ভাষাৰ পৰম্পৰা কেবল স্থানগত নহয়, কালগতও। আমাৰ প্ৰাক্‌শংকৰী যুগৰপৰা এতিয়ালৈকে, চচাৰৰ সময়ৰ আগৰপৰা এলিয়টলৈকে— ভাষা অসমীয়া আৰু ইংৰাজী। একেই নামেৰেই সিহঁতৰ পৰিচয়। আনকি আমাৰ দিনত এংলো-চেকচন (Ango-Saxon) বোলা ভাষাটোকো এতিয়াৰ পণ্ডিতে প্ৰাচীন ইংৰাজী বুলিহে কয়! শঙ্কৰদেৱে ব্যবহাৰ কৰা ভাষা বা আনন্দৰাম ঢেকিয়াল ফুকনে 'অচমিয়া মাত্ৰিভাষা' বোলা ভাষা বা সৌৰভ কুমাৰ চলিহাই গল্প লেখা ভাষা একেটাই— এই কথা আমি মনত ৰাখিব লাগিব। অথচ, এতিয়া শঙ্কৰদেৱৰ ভাষা ব্যাখ্যা বা আধুনিক অনুবাদেৰেহে বুজিব-বুজাব লাগে। হেমচন্দ্ৰ-গুণাভিৰামৰ ক্ষেত্ৰতো প্ৰায় একে পদ্ধতি প্ৰয়োগ কৰিব লগা হৈছে। কিন্তু আমি জানো— আটাইবোৰ একেটা ভাষাৰে ক্ৰমবিকাশ। এতিয়া আমি মান্য ভাষাৰ দৰে ব্যবহাৰ কৰা ভাষাটো উজনি অঞ্চলৰ কথ্য ভাষাৰ ভিত্তিত ৰচিত। তাৰ কাৰণ হ'ল— শিৰসাগৰ আছিল এই নৱৰূপৰ জন্মলগ্নৰ কেন্দ্ৰীয় ঠাই। মুদ্ৰণযন্ত্ৰ যদি শিৰসাগৰত প্ৰতিষ্ঠিত নহৈ ৰংপেটাত প্ৰতিষ্ঠিত হ'লহেঁতেন হয়তো আধুনিক অসমীয়া ভাষাৰ গঢ়ো বেলেগ হ'লহেঁতেন-- হেঁতেনৰ দেশত সকলো সম্ভৱ, কিন্তু বাস্তৱ নহয়।

এতিয়া মুদ্ৰাযন্ত্ৰ বা শিক্ষা-দীক্ষাৰ প্ৰাণকেন্দ্ৰৰূপে গুৱাহাটী নগৰখন উঠি আহিছে। গুৱাহাটীৰ মানৱীয় ভূগোল মিশ্ৰ প্ৰকৃতিৰ। ইয়াকে কেন্দ্ৰ কৰি যি ভাষা সাহিত্যৰ প্ৰসাৰ আৰম্ভ হৈছে তাত হয়তো আগৰ 'উজনীয়া শুদ্ধ ৰূপ'টো নাথাকিবগৈ। তথাপি সেই ভাষা অসমীয়া লেৱেলতে চলি থাকিব। বৰ্তমানৰ অসমীয়া সাহিত্যত সেই পৰিবৰ্তনৰ উমান আপোনালোকে পোৱা নাইনে বাৰু?

কথাৰ জাল সামৰা বৰ টান। অনুষঙ্গৰপৰা অনুষঙ্গই বহলাই লৈ যাব খোজে। মই মাথোন অসম সাহিত্য সভাৰ বিষয়ে দুআষাৰমান কথা কৈ ইতি কৰিম। আজিৰপৰা ৭২ বছৰ আগেয়ে তৰুণসকলৰ ছত্ৰছায়াতেই 'আসাম সাহিত্য সভা'ৰ জন্ম হৈছিল বুলি ক'ব পাৰি। শিৰসাগৰত হোৱা অসম এছোচিয়েচনৰ অধিবেশনৰ ৰভাতলিতেই বয়সীয়া সাহিত্যিকসকলক সাহিত্যৰ মেল পাতিবলৈ তৰুণসকলে অকণমান ঠাই কৰি দিছিল। এতিয়াও সেই তৰুণসকলৰ হাততেই ইয়াৰ ভবিষ্যত। তৰুণসকলে প্ৰকৃত সাহিত্যৰ মৰ্ম বুজি ইয়াৰ সাহিত্যিক মৰ্যাদা যাতে নষ্ট নহয় তাৰবাবে চিন্তা কৰিব লাগে। সাহিত্যৰ দৰে যুগজয়ী মানৱীয় শক্তিক ক্ষুদ্ৰ বিভেদ বা আধিপত্যবাদৰ আহিলা হ'বলৈ দিব নালাগে। সাহিত্য আবেগৰ বতাহ নহয়, ই জীৱন-প্ৰতীতি। সাহিত্যৰ ক্ষেত্ৰত সাহিত্য বহির্ভূত কোনো বিষয় নাই। সাহিত্য সৃষ্টিৰ বাবে কোনো পাঠ্যক্ৰম বা কেৰিকুলাম নাই। জীৱনৰ সকলো দিশকে ই নিজৰ বুলি ভাবে । মানুহ ৰাজনীতিবো উৰ্ধত নহয়, কিন্তু ৰাজনীতিৰ পাশাখেলত সাহিত্যই যোগ নিদিয়ে। জোনাকী যুগৰ ৰাজনীতি প্ৰজানীতিৰ পাৰ্থক্যও এতিয়া আৰু নাই। ভাল বেয়া, সৎ-অসৎ এইবোৰ নৈতিকতাৰ দেওনা পাৰ হৈ সমগ্ৰ জীৱনেই কলা আৰু সাহিত্যৰ উপাদান। কিন্তু কলা বা সাহিত্যৰ ক্ষেত্ৰত প্ৰকৃত আনুগত্য হ'ল নান্দনিক। নান্দনিক ৰূপত

প্রতিভাত হ'লেহে জীৱনৰ সমস্যাবোৰে শিল্পৰূপত দেখা দিয়ে। সাহিত্যিকৰ সেই আনুগত্য নহ'লে, কবিতা আৰু প্ৰস্তাৱৰ পাৰ্থক্য স্বীকাৰ নকৰিলে— সাহিত্য সভাৰ কথা মই তাহানিৰ আলংকাৰিক এজনে কোৱাদিয়েই ক'ম, তেওঁলোক সাধু, কিন্তু অল্পবুদ্ধি। বিগত বছৰৰ সভাৰ সভাপতি শ্ৰীমহিম বৰাই লেখা 'এখন নদীৰ মৃত্যু' উপন্যাসখনে কলংপাৰীয়া মাছমৰীয়া মানুহৰ সমস্যাটো যিদৰে আমাৰ চকুৰ আগত স্পষ্ট কৰি তুলিছে— সেইটো সমাজ তাত্ত্বিক আলোচনা বা অৰ্থনীতিকৰ প্ৰস্তাৱে কৰিব নোৱাৰে!

ইমান পৰে ভাষাৰ কথাকে কৈ থাকিলোঁ হ'বলা! তাকো মোৰ জীৱনৰ লগত নিবিড়ভাবে জড়িত অসমীয়া বোলা ভাষাটোৰ কথা, আৰু এই ভাষা ব্যৱহাৰ কৰা মানুহবিলাকৰ বিপন্ন মনোভাবৰ কথা। মোৰ এই ক্ষুদ্ৰ কণ্ঠস্বৰেৰে অসমীয়া ভাষী মানুহখিকি 'মাভৈঃ' বুলি ক'বলৈকেহে ইমান কথাৰ অৱতাৰণা। অসমীয়া ভাষাটোৱে কেইবা শ বছৰ ধৰি সলনি সৈতে সবল সন্ধি কৰি নিজৰ সাহিত্যিক মৰ্য্যদা অৰ্জন কৰিছে। কাৰো স্পৰ্শই ইয়াক মলিন কৰিব নোৱাৰে, কাৰো অনীহাই ইয়াক পথভ্ৰষ্ট কৰিব নোৱাৰে; কাৰণ ইয়াৰ আছে সাহিত্যিক পৰম্পৰা। সাহিত্যৰ কথা ভাবিলেই মোৰ মনলৈ মাথোন এটা কথাই আহে, যি ভাষাতেই ৰচিত নহওক লাগে সাহিত্যৰ একেটাই ৰূপ— সি হ'ল কল্যাণ-সুন্দৰ ৰূপ। মানুহৰ কলাকৃতি আৰু বিজ্ঞান দুয়োটাৰে একেটা মানবীয় পৰম্পৰাৰপৰা জন্ম। কেইটামান বিশেষ উপাদানেৰে মানুহে এই দুটা সত্তাৰ সৃষ্টি কৰিছে— সজ্ঞানে, নিৰ্জ্ঞানে। সেইকেইটা হ'লঃ মানুহৰ চিত্তৰ লীলাবিলাস যাক ক্ৰীড়াপ্ৰবৃত্তি ৰূপত অন্যান্য জীৱ-জন্তুৰ ক্ষেত্ৰতো ভ্ৰূণাবস্থাত দেখা পাওঁ; আৰু হ'ল মানুহৰ কৌতুহল—'কিয়?' এই প্ৰশ্নটো; তাৰে খেও ধৰি জনাৰ সিপাৰে থকা নজনাৰ বাবে মানুহৰ আগ্ৰহ আৰু মানুহৰ আচৰিত হ'বৰ ক্ষমতা। এইকেইটাৰ সমন্বয়তে সৃষ্ট মানুহৰ বিজ্ঞান আৰু কলা। ঢাকনি গুচালে সত্যক পাম— সেই গভীৰ বিশ্বাসৰে এইবিলাক ফল। উপনিষদৰ কবিয়েতো সূর্যই সোণালী পোহৰেৰে ঢাকি থোৱা হিৰণ্ময় পাত্ৰটো অনাবৃত কৰিবলৈ মন্ত্ৰ ৰচিছিল। সত্য হয়তো পোহৰবো আনটো পাৰত আছে। বিজ্ঞানে যিকেইটা পদ্ধতিৰে সত্যত উপনিত হ'ব খোজে, প্ৰায় একেকইটা পদ্ধতিকেই ব্যৱহাৰ কৰে কলাকৃতিয়ে। নিৰীক্ষণ, অনুমান, সাধাৰণীকৰণ আৰু সূত্ৰ— বিজ্ঞানৰ এয়েই নিৰূপিত পদ্ধতি। নিৰীক্ষণেই কলাকৃতিৰো প্ৰথম ধাপ, অনুমান আৰু কল্পনা সমাৰ্থক নহ'লেও সমানধৰ্মী, আৰু সাধাৰণীকৰণৰ ভিত্তিতেই কলাকৃতিৰ সাৰ্বজনীনতা। কলাকৃতি ৰূপে সাহিত্যতো সেই সাৰ্বজনীনতা আছে— যি ভাষাতেই সি ৰচিত নহওক লাগে। মই তত্ত্বজ্ঞ বা সাহিত্যৰ ইতিহাসকাৰ নহওঁ, হোৱা হ'লে মই এইবোৰ কথা হয়তো অল্প বিশিষ্ট ৰূপক অসমীয়া সাহিত্যিক ভিত্তি কৰিয়েই ক'ব পাৰিলোহেঁতেন। কিন্তু নিজৰ যোগ্যতা আৰু আপোনালোকৰ সময়ৰ সীমাবদ্ধতাৰ বাবে এই কথা মই মাথোন মোৰ বিশ্বাস ৰূপেই দাঙি ধৰিছোঁ, তত্ত্ব বা তথ্য হিচাপে নহয়। সাহিত্যই বিভিন্ন সময়ত বিভিন্নভাবে কাম কৰিছে— কেতিয়াবা ধৰ্মৰ হাতধৰি লিগিৰী হিচাপে কাম কৰিছে, কেতিয়াবা সমাজ পৰিবৰ্তনৰ তূৰ্যধ্বনি ৰূপে ধ্বনিত হৈছে, কেতিয়াবা ভোগৱতী মাতৃকাৰ দৰে গোষ্ঠীক শাসন কৰিছে; কিন্তু যি মুহূর্ততে সাহিত্য নিজৰ কল্যাণ-সুন্দৰ নান্দনিক ৰূপৰপৰা বিচ্যুত হৈছে তেতিয়াই সি মানুহৰ চিৰায়ত প্ৰমুল্যবোধৰ সমাধি ৰচিছে। মানবীয় প্ৰমুল্যৰ অবিহনে কলা, বিজ্ঞান সকলো নিৰৰ্থক।

ৰূপ, বৰ্ণ, শব্দ শিল্পীৰ ভাষা, শিল্পীৰ মাধ্যম। ব্যাকৰণৰ তত্ত্ব নিৰ্ণীত হোৱাৰ আগতেই তাৰ জন্ম। ভাষাৰ দৰেই শিল্পৰ প্ৰধানতম কৰ্ম হ'ল যোগাযোগ স্থাপন। যাক প্ৰকাশ বুলি কোৱা হয়, সিও যোগাযোগৰ বাবে আত্ম-ঘোষণা। শিশুৰ কাকলিও দৰাচলতে যোগাযোগৰ অস্ফুট প্ৰচেষ্টা। যোগাযোগ হ'ব কাৰ সৈতে? সহৃদয় হৃদয় সংবাদী পাঠকৰ কথা কোৱা হৈছে, কোৱা হৈছে সমানধৰ্মীৰ কথা। আপাতদৃষ্টিত এই সহৃদয়তা, সমানধৰ্মিতা নিৰ্ণয় কৰিব সমাজ ব্যৱস্থাই। কিন্তু শিল্পীয়ে নিজ কৰ্মেৰে সমাজৰ ৰূপান্তৰো ঘটাব পাৰে। ইন্দ্ৰিয়ৰ যোগেদি মানুহৰ মনলৈ কৰা শিল্পৰ যাত্ৰাত শিল্পীয়ে নিজেই হাবি কাটি বাট উলিয়াই ল'ব পাৰে। তাতেই শিল্পীৰ অভিনৱত্ব। কিন্তু অভিনৱত্বৰ বাবেই শিল্পকলা সৃষ্টি হ'ব নোৱাৰে। মানুহে হাবি কাটি বাট উলিয়ায় যোগাযোগ স্থাপনৰ বাবে— কেৱল বাট কটাৰ আনন্দতে বাট নাকাটে। সংস্কাৰৰ অৱশ্য কাটি নতুন ক্ষেত্ৰত, নতুন স্তৰত, শিল্পীয়ে ঐতিহ্যৰ লগত নতুনৰ সংযোগ ঘটায়। নতুন ক্ষেত্ৰৰ পৰিচয় প্ৰদানেই সামাজিক ৰূপান্তৰৰ প্ৰথম পদক্ষেপ। চোলা সলোৱাৰ দৰে সমাজ সলাব নোৱাৰি।

এসময়ত কোৱা হৈছিল সমানধৰ্মী পাঠকৰ কথা। এতিয়া হয়তো আমি আশা কৰিম সহধৰ্মী শ্ৰোতা-দৰ্শকৰ-পাঠকৰ,— এই যুগৰ, অন্য যুগৰ। কাৰণ, আমি জানো কলাকৃতি এটা অঞ্চলৰ হৈও বিশ্বৰ। যুগস্থৰ হৈও যুগোত্তীৰ্ণ।

আকৌ শুনিছোঁ সাহিত্য আদি কলাকৃতি সমাজ-সচেতন হ'ব লাগে। এখন সমাজৰ সভ্য শিল্পীয়ে সমাজৰ এটা বিশেষ চাহিদা পূৰাব— উৎপাদন বিতৰণৰ এই সূত্ৰটো কলাকৃতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি নে নোৱাৰি সন্দেহ। অন্য পণ্য সামগ্ৰীৰ দৰে কলাকৃতিৰ ক্ষেত্ৰত উৎপাদন প্ৰয়োজনৰ ভাৱসাম্য নথকাটোৱেই স্বাভাৱিক; কাৰণ, শিল্পীৰ তেনেক্ষেত্ৰত ব্যক্তি স্বাধীনতাৰ অভাৱ ঘটিব আৰু বজাৰ নিয়ন্ত্ৰক গোষ্ঠীয়ে সৃষ্টি কৰিব কৃত্ৰিম বজাৰ আৰু তাৰবাবে 'শিল্পী-মন্য'এচাম কলাকাৰৰ। তেনেকুৱা সময়তে শিল্পী-সাহিত্যিকক বণ্ডীশ ছচমা পিন্ধোৱা হয়, তৎকালীন কোনো ক্ষুদ্ৰ সমস্যাকে চকুৰ নিচেই কাষত দাণ্ডি ধৰি দৃষ্টিক বাধা দি বৃহত্তৰ মানৱীয় পৰিপ্ৰেক্ষিতত নষ্ট কৰি পেলাবৰ চেষ্টা কৰা হয়। শ্লোগানেই তেতিয়া গান হয়, পষ্টাৰেই হয় চিত্ৰকলা। মাৰণ উচাটন মন্ত্ৰৰ পৰ্যায়ত উপনিত হয় কবিতা। বাস্তৱ জীৱনৰ কদৰ্যতাখিনি সযতনে ৰক্ষা কৰা হয় তাহানি ধৰ্মই দেখুৱা স্বৰ্গৰাজ্যৰ সপোনকে নতুন সাজত দেখুৱাবৰ বাবে— উপন্যাসত, মঞ্চত, পৰ্দাত।

শিল্পীৰ এক প্ৰকাৰ যৌথ নাগৰিকত্ব আছে, এক যৌথ আনুগত্য আছে। সামাজিক প্ৰাণী হিচাপে শিল্পী সমাজৰ অন্তৰ্ভুক্ত, কিন্তু শিল্পৰ পৃথিৱীখনৰ তেওঁলোকেই নিৰ্মাতা। মই বিশ্বাস কৰোঁ সৃজনশীল কলাকাৰৰ দুটা মৌলিক স্বাধীনতাত। কলাকৃতি ব্যক্তি মানসৰ সৃষ্ট সম্পদ। প্ৰতিভাৰ সংজ্ঞা নিৰূপিত হৈছে নে নাই নাজানো; জৈৱিক উত্তৰাধিকাৰ আৰু পৰিবেশৰ কাজিয়াখনৰ কেতিয়াবা শেষ হ'ব নে নহয় তাৰো উত্তৰ দিব নোৱাৰোঁ; কিন্তু জানো, কোনো সমাজৰে সকলো ব্যক্তি শিল্পী নহয়। সদায় চকুৰ আগত দেখুৱাই আহিছোঁ, প্ৰতিভা ব্যক্তিগত। সেই প্ৰতিভাৰ হয়তো স্ফুৰণ ঘটায় সামাজিক পৰিবেশে— কেতিয়াবা সংঘাত আৰু বিৰোধেৰে, কেতিয়াবা অনুকূল স্বস্তিৰে। নাট আদি প্ৰদৰ্শনকলাৰ দৰে যৌথ শিল্পৰ সাধনাতো ব্যক্তিগত প্ৰতিভাপুঞ্জৰে সমাহাৰ দেখা যায়। গতিকে শিল্পীৰ সেই একক মৰ্যাদা, একক অধিকাৰ প্ৰাপ্য— হওক সি পুৰস্কাৰ, হওক সি তিৰস্কাৰ। কাৰুকলাৰ ক্ষেত্ৰত বজাৰেই নিয়ন্ত্ৰক; কাৰুকৰৰ মানসিক ব্যক্তিত্ব তাত জড়িত নহয়। চাৰুকলা শিল্পীৰ ব্যক্তিত্বৰ প্ৰক্ষেপণ— সৃষ্টিৰ মুহূৰ্তত শিল্পী আত্মচেতন, বজাৰ সচেতন নহয়।

দ্বিতীয়তে, কবিয়ে বহন কৰে মানৱতাৰ পতাকা। সেই কাৰণেই শিল্পী হিচাপে ব্যক্তিজন দলগত নীতি পদ্ধতিৰ শৃংখলৰপৰা মুক্ত। শিল্পীৰ পথ একক, অনন্য। শিল্পীৰ সেইখিনি স্বাধীনতা স্বীকাৰ কৰি নল'লে শিল্পীক গোটি বা গোষ্ঠীৰ শ্ৰুতলিপি লেখকৰ পৰ্যায়লৈ লৈ অহা হ'ব। তাতকৈ আৰু শিল্পৰ অপমান একো হ'ব নোৱাৰে।

অৱশ্যে এই কথা ক'ব নোৱাৰি যে শৃংখল ছিণ্ডিলেও শিল্পীয়ে বান্ধোন নামানে। দুটা বন্ধনতেই দৰাচলতে শিল্পৰ স্ফুৰণ — নিজস্ব মাধ্যমৰ স্বধৰ্মৰ প্ৰতি আনুগত্য আৰু সামূহিক মানৱীয় প্ৰমূল্যৰ প্ৰতি দায়িত্ব। স্বধৰ্মৰ প্ৰতি আনুগত্য নন্দন-তাত্ত্বিক আৰু মানৱীয় প্ৰমূল্যৰ প্ৰতি দায়িত্ব ঐতিহাসিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত। এই ঐতিহাসিক পৰিপ্ৰেক্ষিততেই আমি আমাৰ সমসাময়িক জীৱন চাবলৈ শিকিব লাগিব।

সংহতি আৰু ঐক্য— এই দুটা বহু শ্ৰুত আৰু বহু ব্যৱহৃত শব্দ ক্ৰমে ক্ৰমে নিৰৰ্থক হৈ যোৱা যেন লাগিছে, কাৰণ, জনে জনে, গোষ্ঠীয়ে গোষ্ঠীয়ে অসংহত ধাৰণাৰ খেলিমেলি। কিহৰ ভিত্তিত দৰাচলতে সংহতি আহিব, ঐক্য প্ৰতিষ্ঠিত হ'ব? ছলে-বলে-কৌশলে সম্পূৰ্ণ একীকৰণেই ঐক্যৰ লক্ষ্য নেকি? পাৰ্থক্য স্বীকাৰ কৰাৰ কাৰণেই জানো সংহতিৰ প্ৰয়োজন নহয়?

আবেগিক সংহতিৰ ধাৰণা স্বতঃবিৰোধী। আবেগৰ স্বভাৱেই অসংহত, চঞ্চল। এটা ধ্ৰুৱকৰ অবিহনে সংহতিৰ কথা ভবা অসম্ভৱ। মধ্যযুগীয় ভাৱতবৰ্ষত হিন্দু-মুছলমানৰ সংহতিৰ আশাৰে 'ভাৱতপন্থ'ৰ আদৰ্শ প্ৰচাৰ কৰা কবীৰৰ বাণীত তাৰ পৰোক্ষ ইংগিত আছে: ইটাই ইটাই জুই ওলায়, বোকাই বোকাই লগ লাগে। সাধাৰণ মানুহে মিলিজুলি থাকে, প্ৰতিষ্ঠানকামীয়ে সংঘাত সৃষ্টি কৰে। সাধাৰণ মানুহৰ সাধাৰণত্ব ক'ত? অজ্ঞতাত? নিশ্চয় নহয়! সেই সাধাৰণত্ব থাকে অৰ্থনৈতিক সমধৰ্মিতাত। প্ৰতিষ্ঠানকামী শাসক-শোষকে ধৰ্ম, ভাষা, জাতি-বৰ্ণৰ গয়না লৈ বিভেদৰ সৃষ্টি কৰে, কাৰণ দাবিদ্ৰ জীৱন-বিবোধ ব্যৱস্থা। সেই বাবেই 'ভাৱতপন্থ' আদৰ্শ হৈয়েই ৰ'ল, বাস্তৱত ৰূপায়িত নহ'ল। ৰৱং 'পণ্ডিত' আৰু 'কাজী'ৰ দলে ধৰ্মবিৰোধী বুলি কবীৰকে দোষী কৰিলে। এতিয়াও প্ৰকৃত সমন্বয়কামীৰ সেই দুৰ্দশা হ'ব লাগিছে।

আবেগে খন্তেকীয়া উন্মাদনাৰ বলেৰে বহুতক খুপ খুৱাব পাৰে; কিন্তু আবেগৰ স্বভাৱ অনুসৰি সি ক্ষণিকতে নিঃশেষ বা পৰিবৰ্তিত হয় আৰু হতাশাই বা আন এটা উন্মাদনাই মানুহৰ চিত্ত বিকল কৰে। গজলিকা প্ৰবাহক জানো ঐক্য বা সংহতি বুলিব পাৰি? সেইদৰে সন্ত্ৰাসৰ বিভীষিকাত ব্যক্তিয়ে মুৰ তুলি মনৰ কথা ক'ব নোৱাৰা সমাজ এখনেও সংঘবদ্ধ সমাজ বুলি দাবী

কৰিব নোৱাৰে। সামাজিক সকলো ব্যৱস্থাৰ ধ্ৰুৱক হ'ল তাৰ অৰ্থনীতি। অৰ্থনৈতিক ভিত্তিৰ বাহিৰে আন একোৰেই স্থায়ী সংহতি স্থাপিত হ'ব নোৱাৰে। অৰ্থনৈতিক ভাৰসাম্যৰ যোগেদিহে সংহতি আহিব পাৰে। ভাষা, ধৰ্ম, সংস্কৃতি সকলোবোৰৰ পৃথকবাচক সত্তা অনস্বীকাৰ্য হ'লেও সকলো অৰ্থনৈতিক ব্যৱস্থাৰ অন্তৰ্গত। কিন্তু অৰ্থনীতি সংস্কৃতিৰ ভেটিহে— সৌধ নহয়।

সেই ভেটিৰ ওপৰত নান্দনিক ৰূপ সৃষ্টি কৰে শিল্পীয়ে, যি প্ৰয়োজনীয় হৈও নৈমিত্তিক প্ৰয়োজনৰ উৰ্ধত।

সভাৰ বিষয়ে দুটামান কথা। এই বিষয়ে সভাৰ সভ্যসকলৰ লগত কিছু একান্তে আলোচনা কৰিবৰ মন। বাইজক কিছু আভাস দিয়াৰ প্ৰয়োজন বাবে চমুকৈ অলপ কওঁ ঃ

কাৰ্যনিৰ্বাহক বা সভাপতিৰ কাৰ্যকাল বৃদ্ধিয়ে সভাৰ পাৰম্পৰিক ঐতিহ্য বা কাৰ্যদক্ষতা বৃদ্ধি কৰিব বুলি মোৰ মনে নধৰে। বাইজৰ প্ৰকৃত প্ৰয়োজন হ'ল সভাখনৰ মাজত প্ৰতিষ্ঠানিক স্থায়িত্ব আৰু গতিশীলতাৰ সমন্বয় সাধন। হয়তো ইয়াৰ কেন্দ্ৰত এখন ন বা বাৰজনীয়া স্থায়ী পৰিষদ গঠন কৰিব পাৰি। স্থায়ী মানে স্থানু নহয়। সেইখনক নৱৰত্ন মেল বা পৰিষদ বা অন্য নাম দি ল'ব পাৰি। তাৰ সভ্যসকল ভুতপূৰ্ব সভাপতি, প্ৰধান সম্পাদক আৰু অন্যান্য সাহিত্যপ্ৰেমী আৰু কৰ্মী বা কৰ্মদক্ষ লোকৰ দ্বাৰা গঠিত হ'ব। প্ৰত্যেক দুবছৰে তাৰ এক-তৃতীয়াংশ সভ্যই অব্যাহতি ল'ব আৰু নতুন সভ্যই তাৰ ঠাই লব। এইদৰে প্ৰাতিষ্ঠানিক স্থায়িত্ব আৰু গতিশীলতাৰ সমন্বয় কৰি সভ্যসকলৰ এই সভাখন কিছু শৃঙ্খলালৈ আনিব পৰা হ'ব। এই নৱৰত্ন সভাখন হ'ব সাহিত্য সভালৈ অহা ধুমুহাবোৰো গতিৰোধক। এইবোৰ হয়তো কবিৰ কল্পনা। তথাপি মনলৈ অহা কথাখিনি লক'লে দোষে চুব যেন লাগিল।

শিলং অধিবেশনৰ আগলৈকে অসম সাহিত্য সভাই চৰকাৰী অনুগ্ৰহৰ মুখ তেনেকৈ দেখা নাছিল। আৰু তেতিয়া দান-বৰঙণিৰেই ইয়াৰ কাৰ্য সম্পন্ন হৈছিল। বাৰ্ষিক অধিবেশন পতাৰো সঙ্গতি বহুত ক্ষেত্ৰত নাছিল। শাসন যন্ত্ৰই সাহিত্য সভাৰ জনপ্ৰিয়তাৰে নিজৰ ভাবমূৰ্তি উজ্জল কৰিবলৈ আৰম্ভ কৰিলে আৰু চৰকাৰী সাহায্যৰ অনুকুল সাহিত্য সভাৰো আড়ম্বৰ বাঢ়িল। কিন্তু এনে পৰিস্থিতিয়ে যি কোনো প্ৰতিষ্ঠানৰে আভ্যন্তৰীণ সাৰ্বভৌমত্ব ৰক্ষা কৰাত সমস্যাৰ সৃষ্টি কৰে। তাৰ উদাহৰণ আমি পাইছোঁৱেই। কিছু আৰ্থিক স্বাধীনতা নহ'লে ব্যক্তি বা প্ৰতিষ্ঠানৰ স্বাতন্ত্ৰ্য ৰক্ষা নপৰে। দাৰিদ্ৰ্য যিদৰে গুণোৰাশি নাশী সেইদৰেও অত্যধিক সাময়িক প্ৰাচুৰ্যও চৰিত্ৰনাশক। টলষ্টয়ৰ সাধু মনত পেলাওক। 'ভুত পোৱালি আৰু খেতিয়কৰ ৰুটি' সেইবাবে পূৰ্বসুৰী এজন সভাপতিয়ে সভাৰ অৰ্থনৈতিক স্বাধীনতা বিছাৰি অন্য এটা ন্যাস পুঁজিৰ কথা কৈছিল শাসনযন্ত্ৰৰ এবাৰৰ অনীহাৰ বাবে। কিন্তু যি দেখা গৈছে, সেই আঘাত সিমান গভীৰ নাছিল, বহুৰেকীয়া সভাবোৰত ধন বাহি হোৱা দেখা গৈছে, কিন্তু ন্যাস পুঁজিৰ লক্ষ্যত উপনীত হোৱাৰ লক্ষণ দেখা যোৱা নাই। সাহিত্য সভাৰ অৱস্থা এটা এফিলিয়েটিং ইউনিভাৰ্চিটিৰ দৰে হ'বলৈ দিয়াচো সমীচীন হ'ব জানো?

আকৌ বহুৰেকীয়া অধিবেশনৰ বাবে ধন তুলি সেই ধন বাহি কৰি আন কামত ব্যৱহাৰ কৰাটোও সুস্থ আৰ্থিক নীতিৰ পৰিপন্থী যেন লাগে দেখোন! বাহি ধনৰ কি ব্যৱহাৰ হ'ব সেইটো নিয়মাবলীয়ে স্থিৰ কৰিব লাগে। এইবোৰ কথা মই সাহিত্য সভাৰ নিয়মীয়া সভ্যসকলৰ আগত বেকত কৰিম বুলি ভাবিছোঁ।

কিন্তু বাইজে নিজৰ বুলি লোৱা, জাতীয় প্ৰতিষ্ঠান বুলি লোৱা এই সভাখনক প্ৰকৃতাৰ্থত স্বাবলম্বী বা আৰ্থিকভাৱে স্বচ্ছল কৰিবৰ বাবে ইয়াৰ ন্যাস পুঁজিটো যেন বাইজেই টনকিয়াল কৰে। কেবল অনুদান বৰ্তি থকা প্ৰতিস্থান আৰু পৰাশ্ৰয়ী ব্যক্তিৰ চাৰিত্ৰিক স্খলন ঘটে। তাৰপৰা সাহিত্য সভাক ৰক্ষা কৰক।

আৰু বাইজ, আপোনালোকৰ সকলো সমস্যাৰ কাৰ্যকৰী সমাধানৰ দায়িত্বৰে সাহিত্য সভাখনক অযথা ভাৰাক্ৰান্ত নকৰিবলৈকো মই অনুৰোধ জনাব খোজোঁ। সাহিত্যৰ কৰ্মপথ পৃথক, সি সমাজসেৱকৰ প্ৰত্যক্ষ কৰ্মপন্থা নহয়। প্ৰস্তাৱ সাহিত্য নহয়, সৃষ্টিশীল বা মননশীল কৰ্মহে সাহিত্য। সাহিত্যই জীৱনক নান্দনিক ৰূপতহে দেখে, চায় আৰু দেখুৱায়!

গ্ৰন্থ প্ৰকাশৰ দায়িত্ব সভাই নিজ সামৰ্থ আৰু নিষ্ঠাৰে কৰি আহিছে বুলি মই অন্ততঃ বিশ্বাস কৰোঁ। কিন্তু 'মধুকৰে নুসুহিলে কিসৰ মালতী?' নপঢ়িলে কিহৰ কিতাপ? কিতাপ এতিয়া পণ্যৰ সামগ্ৰীও। গতিকে পাঠক সৃষ্টি কৰি অসমীয়া কিতাপৰ প্ৰচলন আৰু প্ৰয়োজন বঢ়োৱাটো সভাৰো দায়িত্ব— আৰু আপোনালোকৰো দায়িত্ব।

সাহিত্য সভাৰ শিক্ষাসদী ৰূপটোৰ বিষয়ে আগতে উনুকিয়াইছোঁ। সাহিত্য শব্দটোৰ প্ৰয়োগ যথেষ্ট ব্যাপক। ইংৰাজী

লিটাৰেচাৰ শব্দটোৰ সাম্প্ৰতি-কালত অৱমূল্যায়ণ হৈছে, দৰৱৰ প্ৰয়োগ বিধি, যন্ত্ৰপাতি ব্যৱহাৰৰ কায়দা এইবোৰকো লিটাৰেচাৰ বোলা হয়। ভাৰতীয় ভাষাত সাহিত্য শব্দৰ অৰ্থ এনে নিম্নগামী হোৱা নাই। তথাপি, গল্প-কবিতাই অকল সাহিত্য নহয়। অসম সাহিত্য সভাই আগতে বিজ্ঞান শাখা, বুৰঞ্জী শাখা আদিৰে অসমীয়া সাহিত্যৰ শিক্ষাসদী ৰূপটোৰ বিকাশৰো অবিহণা যোগাইছিল। এনে চৰ্চাই ভাষাৰো প্ৰকাশিকা শক্তি বঢ়ায়। যিহেতু বিজ্ঞান আৰু কলাৰ একেটা উৎস আৰু প্ৰায় একেকেইটা উপাদানেৰেই দুয়ো নিৰ্মিত, সাহিত্য সভাই বিজ্ঞান আৰু বুৰঞ্জী শাখাকতো উজ্জীবিত কৰিব লাগেই, দৰ্শন শাখাটোও সন্নিবিষ্ট কৰিব পাৰি। এনেবোৰ পদ্ধতিৰেই ভাষাৰ শক্তি বাঢ়ে। কোনো ভাষাই কোনো বিষয়ৰ বাবে অযোগ্য নহয়, সেই কথা অসমীয়া ভাষায়ো প্ৰমাণ আৰু প্ৰতিষ্ঠা কৰিব পাৰে। তাতেইহে নিৰ্ভৰ কৰিব আমাৰ ভাষাৰ ভৱিষ্যত আৰু গ্ৰহণযোগ্যতা। বুৰঞ্জী, বিজ্ঞান, দৰ্শন শাখাই কেৱল যে অসম বুৰঞ্জী, অসমত প্ৰায়োগিক বিজ্ঞান বা প্ৰযুক্তিবিদ্যা, শঙ্কৰী বা শাক্ত দৰ্শনতে আবদ্ধ থাকিব তেনে নহয়, আধুনিক ইতিহাসতত্ত্ব, বৈজ্ঞানিক মনোবৃত্তিৰ সৃষ্টি আৰু পূব-পশ্চিমৰ আধুনিক দৰ্শনৰ লগতো সংযোগ ঘটাব পাৰিব লাগিব। এই আটাইবোৰ শাখাৰ বছৰেকীয়া অধিবেশন হ'ব পাৰে, যদি প্ৰয়োজন হয়।

বহুত কথাই ক'লোঁ। কথাৰ এই তুঁহ-পতানৰ মাজত 'মলখু' কিবা আছেগৈ নে নাই? মই নিজে আছে বুলি বিশ্বাস নকৰোঁ। তথাপি কৈছোঁ। মোৰ কথাৰ অসঙ্গতিবোৰ আৰু অসঙ্গত কথাবোৰৰ মাজতেই মই আছোঁ, দোষে-গুণে সামান্য মনিচ্।

এজন সমালোচকে মোৰ কবিতাৰ বিষয়ে মন্তব্য কৰিছিল, নৱকান্ত আলি-দোমোজাৰ কবি। মই সদায়ে আলিদোমোজাতে, বাটকৈকুৰিতে থাকিলোঁ সচাঁয়ে। বন্ধোৱা বাটেৰে যাবলৈ শঙ্কা, খোজত বাট গঢ়ি যোৱাৰ শকতি নাই। বিশ্বনাথ চাৰিআলিত আজি মই সাহিত্য সভাৰ মেলত। আকৌ চাৰি আলি, আকৌ দোমোজা, আকৌ বাটকৈকুৰি! কিন্তু মই জানো, এটাই মাথোন জীৱন, এটাই মাথোন বাট। যি বাটেৰে আইতা এদিন আহিছিল, যি বাটৰ দাঁতিৰ গছৰ ছাঁত ককাদেউতা জিৰাইছিল, যি বাটেৰে দেউতা-আই আহি শুচি গ'ল ... আৰু যাম মই আৰু মোৰ ভৱিষ্যত .. মোৰ সন্তান .. আমাৰ উত্তৰ পুৰুষ! মই মাথোন এটাই আশা কৰিম : মোৰ তৰুণ কবি বন্ধুৰ ভাষাৰে.. সেই বাটৰ দাঁতিত যেন যুদ্ধৰ শিবিৰ পতা নহয় .. জাতি, ভাষা, ধৰ্মৰ বিষাক্ত কাঁইটেৰে কোনেও যেন সেই পথ বন্ধ নকৰে।

'খেলক শিসুৰ দলে মানুহৰ চোতালে চোতালে
সমাজৰ কৰণি ভৰক নিঘুণী সুঠাম ফুলে ফুলে!'

শুভমস্তু।

-- ✦ --

সপ্তপঞ্চাশত্তম অধিৱেশন

দুখনৈ : ১৯৯১ চন

ড° নির্ম্মলপ্রভা ৰৱদলৈ

হে মোৰ চিৰ চেনেহী দেশ আৰু চিৰ চেনেহী ভাষা তোমাক প্ৰথমেই প্ৰণিপাত জনাইছোঁ। হে নৱনাৰায়ণৰূপী বিশাল জনসমুদ্ৰ, সম্মানিত হে প্ৰতিনিধিবৰ্গ— মোৰ প্ৰাণৰ প্ৰণাম গ্ৰহণ কৰক।

জাপানী কবিতা এটিত এষাৰ কথা আছে যে, 'সৰু তৰাটোৰ পিঠিতেই আকাশখন'। সেইদৰে মোৰ নিছিনা সৰু প্ৰাণী এটাৰ ওপৰতেই অসমৰ জাতীয় সাহিত্য-সংস্কৃতিৰ সৰ্ববৃহৎ অনুষ্ঠান অসম সাহিত্য সভাৰ পৰিচালনাৰ দৰে গুৰু দায়িত্ব ন্যস্ত কৰা হ'ল। মইনো ইয়াৰ কাৰণে যোগ্যনে! যিখন অতি সম্মনিত আসনত স্মৰণীয় লোকসকল উপবিষ্ট হৈ অসম সাহিত্য সভাৰ কৰ্ণধাৰ হৈছিল, সেই আসনৰ প্ৰয়াত, জীৱিত অধিকাৰী সকললৈ মই বাৰম্বাৰ প্ৰণিপাত জনাইছো যাতে তেখেতসকলৰ আৰদ্ধ কাম আগুৱাই নিবলৈ মই শক্তি পাওঁ।

অসম সাহিত্য সভা নামৰ এই অনুষ্ঠানটিয়ে গঢ় লৈছিল অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ সৰ্বতোমুখী কল্যাণৰ ব্ৰত লোৱা প্ৰকৃত অৰ্থৰ স্বদেশপ্ৰেমী ব্যক্তি সকলৰ হাতত। ১৯১৭ চনতে স্থাপিত হোৱা এই অসম সাহিত্য সভা কেৱল সাহিত্যিকৰ সভা নহয়, অসমৰ সকলো সাহিত্যপ্ৰেমী, দেশপ্ৰেমী ৰাইজৰ নিজস্ব মিলন তীৰ্থ। সাহিত্যৰ জাত নাই, ধৰ্ম নাই। সেইদৰে সাহিত্যিকৰো জাত নাই, ধৰ্ম নাই। সাহিত্যিকৰ ধৰ্ম সদায় মানৱ ধৰ্ম। এই অসম সাহিত্য সভাও ধৰ্ম, ৰাজনীতি, গোষ্ঠীনীতি সৱাৰে উৰ্দ্ধত।

যিহেতু এই সভা অসমীয়াসকলৰ দ্বাৰা সংগঠিত, প্ৰশ্ন হব পাৰে অসমীয়া কোন? সেই সকলেই অসমীয়া যাৰ অন্তৰে অসমৰ সুখত হাঁহে, দুখত কান্দে। যি সকলে "এয়ে মোৰ জন্মভূমি, এয়ে মোৰ কৰ্মভূমি, এয়ে মোৰ আই" বুলি অসমৰ মাটি সাৱটি লৈছে সেইসকলেই অসমীয়া। ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা অসমলৈ বিভিন্ন গোষ্ঠীৰ লোকৰ প্ৰব্ৰজন হৈছিল আৰু এই মাটিতেই তেওঁবিলাক জীৱন বিচৰা এক ঐক্যসূত্ৰতে লগ লাগিছিল, আৰু মিলি গৈছিল।

বৰ্তমান সময় অতিশয় বিপদ-সংকটৰ মাজেৰে গৈছে। সংহতি সমন্বয়ৰ আপুৰগীয়া ক্ষেত্ৰ অসমৰ আজি বিসংগতিৰ ভাবুকিত জৰ্জৰিত। ঐক্য খণ্ড খণ্ড কৰা মানসিকতাকে ধৰি সকলো ধৰণৰ অসুন্দৰতাৰ প্ৰতি প্ৰত্যাহ্বান জনাব লাগিব একত্ৰ হৈ। অসমৰ ইতিহাসৰ যাউতী-যুগীয়া সমন্বয় তথা ঐক্যৰ সূত্ৰটোকে আজি স্মৰণ কৰিব পাৰো এই ভাবেও— "সংগচ্ছধ্বং, সংবদধ্বং সংবোমানাংসি জনতাম" — এক হৈ গমন কৰিম, এক হৈ কম, সকলোৰে মনক এক বুলি জানিম। এই আন্তৰিক একতাৰ সাধনাই ভাৰতৰ চিৰন্তন সাধনা। এই ঐক্য কোনো কৃত্ৰিম বন্ধন নহয়, এয়া সহজ সম্মিলন মাত্ৰ। এই মিলন ব্ৰতৰ মূল মন্ত্ৰ হ'ল প্ৰেম। প্ৰেমৰ প্ৰেৰণাৰেই বৃহৎ বিশ্বৰ বিচিত্ৰ মানুহে তেওঁবিলাকৰ সমস্ত বিচ্ছিন্নতাৰ দ্বন্দক অতিক্ৰম কৰি অবিৰোধেৰে একত্ৰে মিলিব পাৰে। ভাৰত সংস্কৃতিৰ কেন্দ্ৰীয় ইতিহাস এই প্ৰেম বিস্তাৰৰ জয়গাঁথা। সেয়ে ঋকবেদৰে বিখ্যাত গায়ত্ৰী মন্ত্ৰতো দেখা পাওঁ বৈদিক ঋষিয়ে তেওঁৰ চৈতন্যক কেৱল ভূলোকত সীমাবদ্ধ নেৰাখি তাক ভুবর্লোকে আৰু স্ব-লোকৰ মাজত বিচৰণ কৰিবলৈ দিছিল। তেওঁবলাকৰ কণ্ঠতে প্ৰথম ধ্বনিত হৈছিল - "স নো বুদ্ধা শুভয়া সংযুনক্ত" - তেওঁ আমাৰ সকলোকে শুভ বুদ্ধিৰ দ্বাৰা সংযুক্ত কৰক। সকলো বিশ্ববাসীৰ মঙ্গলৰ কাৰণেই এই প্ৰাৰ্থনা। প্ৰেম-মৈত্ৰীৰ এই মন্ত্ৰ গভীৰতৰ সত্যৰূপে স্বীকৃত হৈছে ভগৱান বুদ্ধৰ বাণীতো। গীতাতো সেই একে আদৰ্শ—

সৰ্ব্বভূতাস্থ মাতানং সৰ্ব্বভূতানি চাত্মানি

ইক্ষতে যোগ যোগাত্মা সর্ব্বত্র সমদর্শনঃ

সর্বভূতৰ মাজত নিজক আৰু নিজৰ মাজত সর্বভূতক দেখা দর্শন সচীকৈয়ে মহত্তম দর্শন। ভাৰতীয় দর্শন, নীতিশাস্ত্ৰৰ মূল দর্শনেই হ'ল সর্বভূতৰ প্রতি নিষ্কাম প্রীতি। কবীৰ প্রমুখ্যে সন্তসকলেও একে কথাই কৈছে। গীতাৰ অসাধাৰণ ঐক্য শক্তিয়ে দেশ-কালৰ উর্দ্ধলৈ গৈ, বিভিন্ন দর্শনৰ সমস্ত বিৰুদ্ধতাৰ উর্দ্ধলৈ গৈ, ভাৰতবর্ষৰ হৃদয়ক একতেই বহুখিনি থকা বিশ্বৰূপ দর্শন কৰাইছে। সমগ্ৰ ভাৰতবর্ষৰ হৃদয়ক শুভকর্মৰ মহামন্ত্রেৰে একত্রিত কৰি উৎথানৰ প্রেৰণা চিৰদিন যোগাইছে।

এনে ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰে বহাক অসম। অসমৰ সভ্যতা-সংস্কৃতি পূব পশ্চিম দুয়োপিনৰ সমন্বয়ৰ সভ্যতা সংস্কৃতি। প্রকৃত অর্থৰ আধুনিক বিচাৰেৰে নিজা দেশৰ এই সমন্বয় প্রক্রিয়া, নিজ দেশৰ এই ঐতিহ্যৰ বিষয়ে সচেতন হোৱাসহে দেশৰ প্রতি দেশবাসীৰ মমত্ববোধ হব আৰু এই মমত্ব বোধেই দিব হৃদয়ত বিশাল, কল্যাণময় প্রেম। প্রেমে দিব সৃষ্টিধর্মী কর্মৰ প্রেৰণা, কর্মৰ আনন্দ। বিভিন্নতা আৰু বিচিত্রতাৰ মাজতেই ঐক্যবদ্ধ মহৎ জীৱনৰ কাৰণে বিৰাটৰ সাধনা চলিব লাগিব। বুজাবুজিয়েই হব তাৰ মূলমন্ত্র। এনে আদর্শৰে বিচাৰ বুদ্ধি সুপথেদি পৰিচালিত হৈ থাকিলে, চেতনা জাগ্রত হৈ থাকিলে, সহনশীলতা আৰু ধৈর্য্য থাকিলে, আবেগিক উন্মাদনা নাথাকিলে আৰু এক সামগ্রিক সুস্থবোধ জাগ্রত হৈ ৰলেহে সঙ্কটৰ সময় আমি আজি পাৰ হব পাৰিম।

ভাৰতৰ সংবিধানৰ দ্বাৰা স্বীকৃত হোৱা পোন্ধৰটা প্রধান আঞ্চলিক ভাষাৰ ভিতৰত ভাৰতৰ উত্তৰ পূব ৰাজ্য অসমৰ অসমীয়া ভাষাও অন্যতম। অসম হৈছে অসমীয়া ভাষাৰ গৃহভূমি আৰু এই ভাষা মূলতে আর্য্য-ভাৰতীয় বা ইন্দো-এৰীয়ান ভাষা। দূৰ অতীততে এই ভাষিক ঐতিহ্যটোৱে সংস্কৃত মূলজ মাগধী প্রাকৃতৰ অপভ্রংশৰূপত বিভিন্ন তৰঙ্গেৰে আহি এই উপত্যকাত প্রবেশ কৰিছিল।

সংস্কৃত ভাষা আছিল বৈদিক ভাষাৰ সমগোত্রীয় ভাৰতৰ উত্তৰ পশ্চিম অঞ্চলত প্রচলিত কথিত ভাষা বিশেষৰ পৰিমার্জিত আৰু সাহিত্যিক ৰূপ। বিদ্বান শ্রেণীৰ আর্য্য সকলে সাহিত্য-সংস্কৃতিৰ মাধ্যমৰূপে সংস্কৃতক প্রতিষ্ঠা কৰিছিল আৰু এই ভাষাই সর্বভাৰতীয় মর্যাদা লাভ কৰিছিল। আনহাতেদি আর্য-সংস্কাৰমুক্ত জনসাধাৰণৰ মাজত দৈনন্দিন জীৱননির্বাহৰ কাৰণে অসংস্কৃত কথিত আর্য্যভাষা প্রচলিত আছিল। এই কথিত আর্য্য ভাষাই স্বাভাৰিক প্রক্রিয়াৰেই পৰিবর্তন লাভ কৰি সৰল হবলৈ ধৰে। প্রাকৃতজনে অর্থাৎ জনসাধাৰণে কৈছিল কাৰণেই এই স্তৰৰ ভাষাই নাম পাইছিল প্রাকৃত। প্রাকৃত যেতিয়া আৰু সৰল হৈ পৰিল সেই স্তৰ অভিহিত হ'ল অপভ্রংশ বুলি। নাটক আৰু কাব্যত সংৰক্ষিত হোৱা প্রাকৃতেই সাহিত্যিক প্রাকৃতৰ নিদর্শন। প্রাকৃতৰো ভাগ তিনিটা — আদি প্রাকৃত, মধ্য প্রাকৃত আৰু অন্ত্য প্রাকৃত।

অশোকৰ শিলালিপি, আৰু পালি ভাষাত (পালিও এবিধ প্রাকৃতেই) ৰচিত ত্রিপিটক আদি আৰু হীনযানী বৌদ্ধ শাস্ত্রসমূহ হৈছে আদি প্রাকৃতৰ নিদর্শন। মধ্য প্রাকৃতৰ নিদর্শন সংস্কৃত নাটৰ প্রাকৃত, হালৰ গাঁথা সপ্তশতী আদি জৈন ধর্ম সম্পর্কীয় সাহিত্যসমূহ। প্রাকৃতৰ শেষ স্তৰ হ'ল অপভ্রংশ সমূহ। বহুতো সাহিত্যিক নিদর্শনৰ ভিতৰত সহজীয়া বৌদ্ধচার্যসকলৰ দোঁহাকোষো এই অপভ্রংশত পৰিছে। প্রাকৃত ভাষাই বিভিন্নতা লাভ কৰিছিল অঞ্চলবোৰৰ ভৌগোলিক, সামাজিক অবস্থাভেদে উচ্চাৰণৰ বৈশিষ্ট অনুসৰি। সাহিত্যিক ৰূপলৈ লক্ষ কৰি আঞ্চলিক প্রাকৃতৰ চাৰিটা নিদর্শন পোৱা গৈছে। পূর্বাঞ্চলৰ প্রাকৃতৰ নাম মাগধী, মধ্য দেশৰ প্রাকৃতৰ নাম শৌৰসেনী, দক্ষিণ-পশ্চিমৰ প্রাকৃতৰ নাম মহাৰাষ্ট্রী আৰু উত্তৰ পশ্চিমাঞ্চলৰ প্রাকৃতৰ নাম পৈশাচী।

মাগধী প্রাকৃতৰ পৰা উদ্ভৱ হোৱা প্রাচ্য অপভ্রংশৰ চাৰিটা শাখা বিশ্ব-বন্দিত ভাষা-তাত্ত্বিক পণ্ডিত ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে উল্লেখ কৰিছে— (১) ৰাঢ় (পশ্চিম বঙ্গৰ উপ-ভাষাৰ সৃষ্টি ইয়াৰ পৰাই হৈছে), (২) বৰেন্দ্র (উত্তৰ-মধ্য-বঙ্গৰ উপভাষাৰ সৃষ্টি ইয়াৰ পৰাই হৈছে), (৩) বঙ্গ (পূর্ব বঙ্গৰ উপভাষাৰ সৃষ্টি ইয়াৰ পৰাই হৈছে), আৰু (৪) কামৰূপ। এই কামৰূপী অপভ্রংশৰ পৰাই অসমীয়া আৰু উত্তৰ বঙ্গৰ কোচবেহাৰ, জলপাইগুৰি, ৰংপুৰ আদি অঞ্চলৰ কথিত ভাষাৰ সৃষ্টি হৈছে। পুৰণি কালত কামৰূপ ৰাজ্যৰ ভিতৰতে সদায় উত্তৰ বঙ্গৰ এই জিলালৈখন আছিল। সেয়ে উত্তৰ বঙ্গৰ উপভাষা আৰু অসমীয়া ভাষাৰ মাজত প্রভেদো তেনেকৈ নাছিল। ৰংপুৰ, কোঁচবেহাৰ অসমীয়া সাহিত্য সংস্কৃতিৰ চর্চাৰ সময় বিশেষে কেন্দ্রস্থান হৈছিল। অষ্টাদশ শতিকাৰ পৰাহে উত্তৰ বঙ্গৰ লগত অসমৰ সাংস্কৃতিক স্পর্শ ক্রমে হ্রাস হৈ আহে আৰু এই অঞ্চল বঙলা সংস্কৃতিৰ

প্রভাৱত পৰে।

এই ৰাজ্যৰ প্ৰাচীন অধিবাসী অষ্ট্ৰিক আৰু মঙ্গোলীয় গোষ্ঠীৰ বিভিন্ন প্ৰজাতি আছিল যদিও প্ৰাক বৈদিক আৰ্য্য অথৱা আলপাইন জাতিৰ লোকেও প্ৰাচীন কালত এই ৰাজ্যত বসতি কৰিবলৈ লৈছিল বুলি পণ্ডিত সকলে ঠাৱৰ কৰে। আনুমানিক খৃঃ পূঃ দুহেজাৰ মানত নৰকাসুৰৰ দ্বাৰা বহুতো শাস্ত্ৰজ্ঞ দ্বিজকো এই ৰাজ্যলৈ অনা হৈছিল। এইদৰে সুদূৰ প্ৰাক ঐতিহাসিক কালৰে পৰা এই ৰাজ্যত আৰ্য্যবসতি আৰম্ভ হয়। আৰ্যসকলৰ উন্নত, শক্তিশালী ভাষা থকা কাৰণে আৰু এই ৰাজ্যৰ ৰজাসকলৰ পৃষ্ঠপোষকতা পোৱা কাৰণেই আৰ্য্য ভাষা আৰু সংস্কৃতিয়ে এই ৰাজ্যৰ জনসমাজক প্ৰভাৱান্বিত কৰিবলৈ ধৰে। আৰ্য্যভিন্ন লোকসকলৰ নিজা নিজা ভাষা আছিল যদিও সংস্কৃতেই ৰাজকীয় ভাষা হৈ পৰে ইয়াৰ প্ৰমাণ বিভিন্ন তাম্ৰফলি, শিলালিপিয়ে আজিও দিয়ে। এই তাম্ৰশাসনৰ ভাষা মূলতঃ সংস্কৃত আৰু শ্লোকবোৰ কবিত্ব গুণেৰে পৰিপূৰ্ণ।

প্ৰখ্যাত চীন পৰিব্ৰাজক হিউৱেন চাং এই ৰাজ্যলৈ সপ্তম শতিকাত আহোঁতে এই ৰাজ্যৰ ভাষা মধ্য ভাৰতৰ ভাষাৰ পৰা কিছু অমিল পাইছিল। এই উক্তিয়েই অসমীয়া ভাষাৰ প্ৰাচীনত্বৰ ঐতিহাসিক উক্তি। সংস্কৃতত লিখা তাম্ৰ শাসনৰ মাজতো প্ৰাচীনতম ৰূপ এটা ফুটি উঠিছিল। তাম্ৰ শাসনত কালিয়া, ঢনি (ধনী), সনি, (শনি), দক্ষিণপাট, শিঙৰি, জান, জোল আদি শব্দ পোৱাতো তাৎপৰ্যপূৰ্ণ। আৰ্য সম্ভূত ভাষাই অসমীয়া বৈশিষ্ট গ্ৰহণ কৰি অসমীয়ালৈ ৰূপান্তৰিত হোৱাৰ প্ৰহনতা তাম্ৰশাসনত এইদৰে লক্ষ্য কৰা যায়। সংস্কৃতৰ দীৰ্ঘ ঊ, দীৰ্ঘ ঈ হ্ৰস্ব ৰূপলৈ আহিছে, তালব্য 'শ'ৰ পৰিবৰ্তে দন্ত্য সৰ প্ৰাধান্য দেখা গৈছে, পানী বা নদী বুজোৱা 'দি' উপসৰ্গৰ ব্যৱহাৰ হৈছে, 'ৰ'ৰ ঠাইত 'ল', 'ঋ'ৰ ঠাইত 'জ'ৰ ব্যৱহাৰ হৈছে।

প্ৰাচীন আৰ্য্য ভাষাই অসমীয়ালৈ ৰূপ লওঁতে যি যি স্বাভাৱিক প্ৰক্ৰিয়াৰে আগবাঢ়িছিল তাক তেনেই থুলমূলকৈ তিনিটা ভাগেৰে দেখুৱাব পাৰি। ধ্বনিৰ ক্ষেত্ৰত, শব্দ আৰু ধাতুৰূপৰ ক্ষেত্ৰত আৰু পদ প্ৰয়োগৰ ক্ষেত্ৰত। সৰলীকৰণেই এইবোৰৰ মূল কথা। অৱশ্যেই কিছুমান বিশিষ্ট নিয়মৰ মাজেদিহে একোটা ভাষাৰ পৰিবৰ্তন সাধিত হয়। যেনে ইচ্ছা তেনেকৈ একোটা ভাষাৰ ৰূপান্তৰ ঘটিব কেতিয়াও নোৱাৰে।

এনে পৰিবৰ্তনসমূহৰ উপৰিও এই ৰাজ্যৰ আৰ্য্যভিন্ন গোষ্ঠীৰ ভাষাসমূহৰ সংশ্ৰৱেও উচ্চাৰণগত আৰু ৰূপগত দিশত ৰাজ্যৰ কোনো কোনো অঞ্চলত কিছু প্ৰভাৱো বিস্তাৰ কৰিছে। শতকৰা দহভাগমান শব্দ অসমীয়া ভাষাৰ শব্দকোষলৈ বিভিন্ন আৰ্যভিন্ন গোষ্ঠীৰ পৰা আহিছে। দন্ত্য-মূৰ্দ্ধণ্যৰ উচ্চাৰণত পাৰ্থক্যহীনতা, চ ছ ধ্বনিৰ উচ্চাৰণগত একৰূপতা, সংস্কৃত শ স ষ ধ্বনিৰ উচ্চাৰণ লুপ্ত হৈ নিজস্ব বৈশিষ্ট পূৰ্ণ উচ্চাৰণ, স্বতঃ অনুনাসিকতাৰ বেছি প্ৰচলন, বস্তুৰ আকাৰ আৰু পৰিমাণ বজাবলৈ নিৰ্দেশাত্মক অনুসৰ্গৰ ব্যৱহাৰ, ডাঙৰ সৰু বুজাবলৈ বিভিন্ন সম্বন্ধ-বাচক বিশেষ্যৰ প্ৰয়োগ আদি কিছুমান বৈশিষ্ট বিভিন্ন আৰ্যভিন্ন প্ৰভাৱৰ ফলতো হ'ব পাৰে বুলি কোনো কোনো ভাষাতাত্ত্বিকে অনুমান কৰে। অন্য হাতেদি এইটোও মন কৰিবলগীয়া যে অসমীয়া মান্য ভাষাৰ কথা কোৱাৰ ঠাঁচ — তিব্বত-চীন ভাষাৰ "সুৰ" আৰু 'সুৰ লহৰ'ৰ (tone আৰু intonation) পৰা সম্পূৰ্ণ সুক্ত। বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে অসমীয়া ভাষাৰ অস্তিত্ব বিশ্লেষণ কৰি অসমীয়া ভাষাক স্বকীয় মৰ্যাদা দিয়া মহান বিজ্ঞানী মনিষী ড° বাণীকান্ত কাকতিয়ে কৈছে যে, "অসমত অসংখ্য ভাষা-ভাষী মানুহৰ সমাবেশ। চাৰিওফালে বেঢ়ি থকা তিব্বতীয়া ভাষাবোৰৰ ভিতৰত অসমীয়া ভাষা এটি সৰু দ্বীপৰ দৰে। ইমানবোৰ ভাষা-ভাষীৰ ঠেলা-হেঁচাত হয় অসমীয়া ভাষা বুৰ গ'লহেঁতেন, নহয় ই বিকৃতাকাৰ হ'লহেঁতেন। বৈষ্ণৱ কবি সকলে অসমীয়া ভাষাক আশ্ৰয় কৰি সাৰ্বজনীন শিক্ষা দিয়াৰ ব্যৱস্থা কৰাত অসমীয়া ভাষা জাতীয় ভাষা ৰূপে পৰিগণিত হ'ল; আৰু পৰ্বতীয়া ভাষাৰ শব্দ ইয়াত সোমালেও কোনো আদিম ভাষাই ইয়াৰ মৌলিক ৰূপৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই।" (পাতনি, পুৰণি অসমীয়া সাহিত্য)।

বাস্তৱ প্ৰয়োজনতে আমি যেনেকৈ অসমীয়া ভাষাৰ অস্তিত্ব আৰু প্ৰাচীনতম সম্বন্ধে আটায়ে অৱগত আটায়ে অৱগত হোৱা উচিত তেনেকৈয়ে অসমীয়া সাহিত্যৰ প্ৰাচীনত্ব আৰু বৈশিষ্ট্যৰ প্ৰতি যদি বিহঙ্গম দৃষ্টি দিয়া যায় তেনেহ'লে কব পাৰি যে চৰ্য্যাপদসমূহেই অসমীয়া সাহিত্যৰ আদি স্তৱৰ নিদৰ্শন। এই চৰ্য্যাপদসমূহ মাগধী কামৰূপী অপভ্ৰংশৰ শেষস্তৱৰ উদাহৰণ স্বৰূপে আৰু এই স্তৱ বঙালী, মৈথিলী, উড়িয়া আদি আঞ্চলিক ভাষাসমূহৰো উদ্ভৱৰ স্তৱ স্তৱ কাৰণে এই পদসমূহ নিজ নিজ ভাষাৰ আদি স্তৱ বুলি আটায়ে দাবী কৰিব খোজে। ড° বাণীকান্ত কাকতিৰ দৰে ভাষা-বিজ্ঞানী পণ্ডিতে চৰ্য্যাপদৰ লগত অসমীয়াৰ ভাষাগত সাদৃশ্য লক্ষ্য কৰি এইবোৰক অসমীয়া আৰু বঙালী ভাষাই স্বতন্ত্ৰ ৰূপ লোৱাৰ ঠিক আগৰ অৱস্থাৰ ভাষাৰ

নিদর্শন বুলিছে। চর্য্যাপদসমূহৰ ভাষাৰ বৈয়াকৰণিক বৈশিষ্ট্যৰ লগত অসমীয়া নিদর্শন বুলিছে। গূঢ় আধ্যাত্মিক তথ্যক চিত্ৰ-ৰূপময় ভাষাৰে আকর্ষণীয় কৰি থিয় কৰোৱা সহজযান পন্থাৰ ধর্ম সাধনাৰ ৰাগবিশিষ্ট এই চর্য্যাগীতবোৰ বিভিন্ন প্রান্তৰৰ সিদ্ধাচার্য্য সকলৰ দ্বাৰা ৰচিত। সিদ্ধাচার্য সকলৰ ভিতৰত মীননাথ, মৎসেন্দ্র নাথ, লুইপা আৰু সৰহপা কামৰূপৰ লোক আছিল বুলি বিভিন্ন তথ্যৰ পৰা প্রতীতি জন্মে।

কামৰূপ নামটোৰেই তান্ত্রিক নাম বুলি মই ক'ব খোজো। সপ্তম অষ্টম শতিকামানৰ পৰাই কামৰূপে তন্ত্র প্রধান ক্ষেত্রৰূপে বিশেষ প্রসিদ্ধি লাভ কৰে। সেয়ে দশম শতিকাৰমানৰ বৌদ্ধ তান্ত্রিক সহজযান মার্গৰ এই দোহাসমূহে প্রাচীন অসমীয়া সাহিত্যৰ নিদর্শন দাঙি ধৰাত আচৰিত হবৰ কোনো কাৰণ নাই।

মন কৰিবলগীয়া যে চর্য্যাগীতসমূহ আবিস্কাৰ হৈছিল নেপালতহে। বানপানী, ভূমিকম্পৰ কাৰণেই হওক বা অসমীয়া মানুহে সেইসময়ত পুথি সংৰক্ষণ কৰিব নজনা কাৰণেই হওক চর্য্যাপদসমূহৰ পাছত তিনিশবছৰমান কালৰ সাহিত্যিক নিদর্শন এতিয়ালৈকে পোৱা হোৱা নাই। চৈধ্য শতিকাত হেম সৰস্বতী, হৰিবৰ বিপ্র আদিৰ বহুতো উল্লেখযোগ্য সাহিত্য-কর্মৰ উপৰিও সংস্কৃত সপ্তকাণ্ড ৰামায়ণৰ দৰে মহাকাব্য অসমীয়া ভাষালৈ অপ্রমাদী কৰি মাধৱ কন্দলীএ অনুবাদ কৰাৰ কথাই অসমীয়া ভাষাৰ অতি শক্তিশালী প্রকাশিকা শক্তি, ঐশ্বর্য্যপূর্ণ শব্দকোষৰ উজ্জ্বলতম প্রমাণ চিৰ জ্যোতিষ্মান কৰি তুলিলে। মাধৱ কন্দলীৰ ভাষা আৰু বর্ণনা সৌষ্ঠৱে সাহিত্যৰ অনুপম জতুৱা ঠাচ, ৰূপক, উপমা, কল্পচিত্র আদিৰে সমৃদ্ধ, অসমীয়া ভাষা-সাহিত্যৰ অসামান্য গৌৰৱ স্বৰূপ এই ৰামায়ণে এইটোও প্রমাণ কৰে যে, মাধৱ কন্দলী এক দীর্ঘ কালীন সাহিত্যিক পৰম্পৰাৰ উত্তৰাধিকাৰী আছিল অর্থাৎ ইতিমধ্যে অসমীয়া ভাষা-সাহিত্যই আৰু সাহিত্যিক সংস্কৃতিক প্রক্রিয়াই এক মুক্ত আৰু উচ্চস্তৰ ক্রমান্বয়ে লাভ কৰিছিল। দশম শতিকাৰ পাছৰ আৰু চৈধ্য শতিকাৰ আগৰ এই সময়খিনিয়ে চিন্তা আৰু গবেষণাৰ বাট মুকলিকৈ ৰাখিছে।

ইয়াৰ পাছত পঞ্চদশ শতিকাত অমিত প্রভাৱশীল কবি শ্রীশ্রীশঙ্কৰদেৱৰ আৰু শ্রীশ্রীমাধৱদেৱৰ নেতৃত্বত যি অভূতপূর্ব ৰস আৰু সৌন্দর্য্যৰে ভৰপূৰ সাহিত্য আমি পালো তাৰ গুণতে অসমীয়া সাহিত্যৰ স্বর্ণযুগ বুলি সেই যুগ চিহ্নিত হ'ল। উত্তৰ পূৰ ভাৰতৰ গদ্যৰ সর্বপ্রথম নিদর্শনৰূপে অঙ্কীয়া নাটৰ গদ্য শ্রীশ্রীশঙ্কৰদেৱৰ ৰচনাতে প্রথম পালো, ৰত্নগীত, নামঘোষাৰ দৰে অসমীয়া সাহিত্যতে নতুন, ওখ, নৈতিক আৰু আধ্যাত্মিক ভাৱৰ অপূর্ব গ্রন্থ গুৰু দুজনাৰ পৰা আমি লাভ কৰিলো। অন্য ৰচনাৰ কথা বাদেই। এহাতে নৱ ভক্তি ধর্মৰ পৰম তত্ত্ব প্রচাৰ আৰু সাহিত্যৰ দ্বাৰা আনন্দ প্রদান --- এনে আদর্শ আৰু প্রেৰণাৰে ৰচনা কৰা শঙ্কৰদেৱ-মাধৱদেৱৰ ৰচনাত ভাৰতীয় বৈষ্ণৱ দার্শনিকতা আৰু আধ্যাত্মিক ক্ষেত্রত সাম্যবাদৰ আদর্শই প্রধানকৈ প্রকাশিত হৈছে। দুতৰপীয়া উদ্দেশ্যেৰে লিখা দুজনা গুৰুৰ অনাপূর্ব সুষমামণ্ডিত অৱদানে অসমীয়া ভাষা-সাহিত্যক গভীৰতা দি গৌৰৱৰ উচ্চতম আসনত বহুওৱাৰ উপৰিও অসমীয়া সংস্কৃতিৰ সর্বভাৰতীয় সূত্রটোও নিবিড় কৰিলে।

শঙ্কৰী সাহিত্যৰ আদর্শ ওঠৰ শতিকালৈকে বিভিন্ন তৰপত বর্তি থাকিল। ইয়াৰ মাজতে বিশিষ্ট গুণসম্পন্ন ভট্টদেৱৰ গদ্য, চৰিত পুথিৰ গদ্য আৰু বুৰঞ্জীৰ গদ্যৰ দৰে আপুৰুগীয়া গদ্যইও অসমীয়া সাহিত্যক অতি বলিষ্ঠ ৰূপত সমৃদ্ধ কৰিলে।

ইয়াৰ পাছত বুটিছ যুগৰ লগে লগে অসমীয়া সাহিত্যৰ নতুন দিগন্ত মুকলি হল। চিৰস্মৰণীয় মিছনেৰী সকলৰ "অৰুণোদয়" যুগ পাৰ হোৱাৰ পাছত আন এক নৱন্যাসৰ যুগ "বেজবৰুৱা যুগ" অসমীয়া সাহিত্যই লাভ কৰিলে। অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিক আন এক নতুন গতি দি প্রাণৱন্ত কৰিবলৈ পশ্চিমীয়া আৰু ভাৰতীয় মানৱতাবাদৰ যুগ্ম আদর্শেৰে প্রেৰণামণ্ডিত হৈ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ প্রমুখ্যে প্রাতঃ স্মৰণীয় সাহিত্যিকসকলে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিলে, কবিতা, চুটিগল্প, নাটক, উপন্যাস, সমালোচনাকে ধৰি উনৈশ শতিকাৰ সাহিত্যক নতুন চেতনাৰে সঞ্জীৱিত কৰিলে, বাঁহী আলোচনীৰেএচাম নতুন লিখকৰ সৃষ্টি কৰিলে, সমসাময়িক সকলেও অপূর্ব প্রেৰণা লাভ কৰিলে। জোনাকীৰ সময়ৰে পৰা দ্বিতীয় মহাযুদ্ধলৈকে বিস্তৃত, নৱোন্মেষৰ এই কালছোৱা বেজবৰুৱাৰ ব্যক্তিত্ব আৰু প্রতিভাই এনেকৈ নেতৃত্ব দি থাকিল যে এই যুগ "বেজবৰুৱাৰ যুগ" বুলিয়েই নির্ণীত হল। ব্যক্তিবাদ আৰু জাতীয় চেতনা এই যুগৰ প্রধান বৈশিষ্ট্য।

দ্বিতীয় মহাযুদ্ধৰ পাছৰ সাহিত্যিক তৰঙ্গ আধুনিকতম তৰঙ্গ। শিল্পযুগৰ বিবিধ নতুন চিন্তা, পৰিবর্তিত মূল্যবোধ, প্রশ্ন আৰু সন্ধানৰ সাহিত্য আধুনিক সাহিত্য। নতুন নতুন আঙ্গিকৰ পৰীক্ষাও এই যুগত চকুত পৰা। এই যুগে আন্তর্জাতিক সাহিত্যকর্মৰ

লগতো অসমৰ সাহিত্যিক সকলক ওচৰ সম্বন্ধ স্থাপন কৰাইছে।

অসমীয়া ভাষা-সাহিত্য ঐতিহ্যৰ কথা অতি চমুকৈ এই ভাষণত উল্লেখ কৰাৰ কাৰণ এইটোও যে, অসমৰ ৰাজ্যভাষা অসমীয়া গুণগত দিশৰ পৰাই যে হৈছে তাৰ প্ৰমাণ স্পষ্টকৈ দাঙি ধৰা। ভাষা এটাৰ ৰূপ, ঠাঁচ, গঠনভঙ্গী, শব্দকোষৰ প্ৰাচুৰ্য্য, উচ্চস্তৰৰ যুক্তিসঙ্গত ব্যাকৰণ, উন্নত স্তৰৰ সাহিত্যৰ বিভিন্ন বিকাশেহে একোটা ভাষাৰ 'মান' নিৰ্ণয় কৰে আৰু পৃথিবীৰ ঐশ্বৰ্য্যশালী ভাষাবোৰৰ লগত সমকক্ষতা কৰে। আৰেগেৰে নহয়, গুণগত দিশবোৰেৰেহে ভাষা এটাৰ মৰ্যদা প্ৰাপ্তি হয়।

ভাষা এটা সকলো ভাব প্ৰকাশৰ ক্ষমতাৰে পূৰ্ণ প্ৰতিষ্ঠিত হৈ উঠিবলৈ শ শ বছৰীয়া একান্ত সাধনাৰ প্ৰয়োজন। সেয়ে ভাষাৰ ক্ষেত্ৰত হঠাৎ হোৱা উন্নাসিকতাই প্ৰগতিৰ অন্তৰায় হৈ উঠিবও পাৰে। আনহাতেদি আঞ্চলিক জাতীয়তাবাদ আগ্ৰাসিক (Aggresive) মনোভাবাপন্ন হলেও ক্ষতিকাৰক হয়।

অসমত অসমীয়া ভাষাটো কেন্দ্ৰীয় ভাষা, বুলিয়েই যে অসমৰ বিভিন্ন জন-গোষ্ঠীৰ নিজস্ব ভাষাবোৰ বিপন্ন হব, বিকশিত হব নোৱাৰিব এনে আশঙ্কা একেবাৰে অমূলক। প্ৰতি জনগোষ্ঠীৰে ভাষা গুণেৰে (Merit) জীয়াই থাকিবৰ অধিকাৰ আছে। অসমীয়া ভাষাই আগ্ৰাসী মনোভাবেৰে কেতিয়াও সেই সেই ভাষাবোৰৰ গতিৰোধ নকৰে।

অসমৰ বিভিন্ন জনগোষ্ঠীসকলৰ ভাষাই বিকাশৰ স্তৰে স্তৰে গৈ সময়ত উচ্চ মানদণ্ডসম্পন্ন ভাষাত পৰিণত হবগৈ, কিন্তু ৰাজনীতিৰ কুটিল পথেৰে নহয়, সাধনাৰ উজ্জ্বল পথেৰেহে সেয়া সম্ভৱ। জ্ঞান-বিজ্ঞানৰ চৰ্চা বা মৌলিক সৃষ্টিধৰ্মী সাহিত্য জাতি এটাৰ মাজত হঠাৎ হব পৰা বস্তু নহয় বা এমুঠিমান মানুহে ইচ্ছা কৰিলেই সৰ্বজ্ঞানৰ ভাণ্ডাৰ— সেই জাতিৰ কাৰণে, সেই ভাষাত তুলি ধৰিব নোৱাৰে। অসমীয়া ভাষাই উন্নত মানদণ্ড ৰক্ষণ কৰিছে বুলিয়েই নহয় ব্যৱহাৰিক প্ৰয়োজনতো বিভিন্ন জনগোষ্ঠীয়ে আঞ্চলিক ঐক্যসূত্ৰ অসমীয়া ভাষাৰ মাজত বিচাৰি পাইছে আৰু সেই সূত্ৰতে অসমীয়া ভাষাই বিভিন্ন জনগোষ্ঠীৰ মাজত সংযোগী ভাষা (Link Language)হৈ প্ৰাচীন কালৰে পৰা যোগসূত্ৰ ৰক্ষা কৰি আহিছে। এতিয়াও বাস্তৱসম্মত দৃষ্টিভঙ্গীৰেই কব খুজিছো যে বিকাশমুখী জনগোষ্ঠীসকলৰ নিজৰ উপকাৰৰ কাৰণেই প্ৰয়োজনীয় এটা সংযোগী ভাষাৰ চৰ্চা মুক্ত হৈ থাকিব লাগিব। উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশউন্মুখ জাতিসকলৰ বাবে গাতে লাগি থকা অসমীয়াৰ বাহিৰে অন্য উপযুক্ত কি ভাষা সংযোগী ভাষা হব পাৰে?

প্ৰাচীন কালৰে পৰা সংযোগী ভাষা হৈ অহা কাৰণে আৰ্য্যমূলীয় অসমীয়া ভাষাটোত যিদৰে আৰ্য্যভিন্ন উপাদান লক্ষ্য কৰা যায় তেনেদৰে এই ৰাজ্যৰ আৰ্যভিন্ন ভাষাবোৰবো যে, অসমীয়া কেন্দ্ৰীয় ভাষাৰ মাধ্যমেৰে ঐশ্বৰ্য্যশালী হৈছে সেই কথাও স্বীকাৰ কৰিব লাগিব আৰু এই দিয়া-লোৱাৰ জৰিয়তে পাৰস্পৰিক সমৃদ্ধিৰ বাটো বিচাৰি লব লাগিব।

লিপিয়েও সংহতি গঢ়ে। একে লিপিয়ে অজানিতে কাষ চপাই আনে। বাংলা লিপি অসমীয়াৰ লগত মিল থকা কাৰণেই আমি ঐশ্বৰ্য্যশালী বাংলা সাহিত্য পঢ়িব পাৰিছো। উৰিয়া ভাষাটো কলে বুজি পালেও লিপি বেলেগ কাৰণে সেই সাহিত্য অনুবাদ নোহোৱা পৰ্যন্ত পঢ়িব নোৱাৰো। এইবোৰো বাস্তৱসম্মত কথা।

মাতৃভাষা, (যিটো ভাষা জন্মসূত্ৰে পোৱা যায়) ৰাজ্যিক ভাষা, সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ স্থিতি থকাৰ উপৰিও "ধাত্ৰী" ভাষা অথবা তোলনীয়া ভাষা (adopted language)ৰূপেও অসমীয়া ভাষাৰ এটা ভূমিকা হৈছে। চৰ অঞ্চলৰ ন অসমীয়া মানুহখিনিৰ আৰু অসমৰ চাহ বাগিচালৈ বাহিৰৰ পৰা শ্ৰমিক হৈ অহা মানুহখিনিৰ সন্দৰ্ভত এই কথা কোৱা হৈছে এই কাৰণেই যে সেই মানুহখিনিয়ে অসমীয়া ভাষা গ্ৰহণ কৰিছে। অসমৰ চৰ অঞ্চলৰ ন অসমীয়া সকলৰ কাৰণে অসম সাহিত্য সভাৰ প্ৰাক্তন আৰু প্ৰয়াত সভাপতি ময়িদুল ইছলাম বৰাৰ ভাষণাবলীত সন্নিবিষ্ট, ৰৰপেটাৰ জয়পুৰত খোন্দকাৰ আলি চাহাবে কোৱা কথাকেইষাৰ প্ৰণিধানযোগ্য : "যেনেকৈ আমি আৰৰ এবি, পাৰস্য এবি, আফগানিস্তান এবি, পঞ্জাৰ অবি বঙালী হৈছো, সইদৰেই এতিয়া আমি বঙ্গদেশ অবি অসমীয়া হৈছো। এতিয়া আমি খাঁটি অসমীয়া। আমাৰ মগুহ, অসমৰ মগুহ, আমাৰ তেজ অসমৰ তেজ। আমাৰ দৰেই সকলো লোকেই যিসকল অসমত নতুনকৈ সোমাইছে তেওঁলোকক আমি অসমীয়া বুলি স্বীকাৰ কৰিবলৈ আৰু অসমীয়া ভাষা শিকি পেলাবলৈ উপদেশ দিওঁ। যি ঠাইতেই থকা যায় সেই ঠাইৰেই অধিবাসীৰ লগত মিলিজুলি থাকিবলৈ, সেই দেশৰেই ভাষা শিক্ষা কৰাটো তেওঁলোকৰ ন্যায়সঙ্গত কথা।" আনজন বক্তা মৌলবী দেৱান আবদুল হামিদ চাহাবে কৈছিল— "আমি অসমীয়া। অসমৰ ৰস পান কৰি আমি জীয়াই আছোঁ।" এই একে নীতিয়েই চাহ

বাগিচাৰ ভাইসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য নহয়নে? অসমলৈ কোন কেতিয়াতে আহি অসমৰ ৰস পান কৰি জীৱন ধাৰণ কৰা চাহ বাগিচাৰ ভাইসকল আমাৰ তেনেই আপোন। চাহ শ্ৰমিক সকলে নিজৰ বৈশিষ্ট্যময় সংস্কৃতিৰ ৰক্ষা কৰিও অসমীয়া ভাষা গ্ৰহণ কৰিছে আৰু অসমৰ গাঁৱকে নিজ গাওঁ বুলি সাৰটি লৈছে। তেওঁবিলাকৰ সন্তান সকলৰ পঢ়াৰ মানদণ্ড কেনে হৈছে, তেওঁবিলাকৰ অভাৱ কেনে ধৰণৰ, তেওঁবিলাকে পাৱ পৰাতে অসমীয়া সাহিত্য সংস্কৃতিৰ কিতাপ আছেনে নাই তাৰ সন্ধেদ কাষলৈ গৈ অসম সাহিত্য সভাই নিশ্চয় লব। অসম সাহিত্য সভা অসমক আই বুলি প্ৰকৃততে গ্ৰহণ কৰা আটাইৰে অনুষ্ঠান। এই সূত্ৰত আমি এখন ঘৰৰ, এটা পৰিয়ালৰ।

অসমৰ শিক্ষালয়বোৰত মাতৃভাষা মাধ্যম হৈছে আৰু আনহাতেদি প্ৰাথমিক, মাধ্যমিক দুয়োটা স্তৰতে ইংৰাজী মাধ্যমৰ স্কুলো যথেষ্ট বৃদ্ধি পাইছে। বহুত অনা অসমীয়া লোকৰ উপৰিও বদলি হৈ থকা সৰ্বভাৰতীয় সংস্থাৰ অসমীয়া চাকৰিয়াল সকলেও নিতান্ত বাস্তৱ প্ৰয়োজনতেই ইংৰাজী মাধ্যমত সন্তানক পঢ়ুৱাব লগা হয়। আন্তৰ্জাতিক ভাষাৰূপে ইংৰাজী অপৰিহাৰ্য্য বুলিয়েই নহয়, ইংৰাজী স্কুলত পঢ়িলে লৰা-ছোৱালী কথাই বতৰাই ফট্‌ফটীয়া (স্মাৰ্ট) হ'ব বুলিও এটা বুজন অংশই ইংৰাজী মাধ্যমত লৰা-ছোৱালী পঢ়ুৱায়। ইংৰাজী মাধ্যমৰ স্কুলত সন্তানক পঢ়ুৱাটো কিছুমানে হয়তো "ষ্টেটাচ্ চিম্বল" বুলিও ভাবিছে। অসমীয়া মাধ্যমত শিক্ষা নিদিয়ে কিয় বুলি সোধা প্ৰশ্নৰ উত্তৰত নিসংকোচে উত্তৰ এনেভাবেও আহে যে, "ভাল অসমীয়া স্কুল নাই, স্কুল থাকিলেও পৰিবেশ নাই, যি কেইখন স্কুল আছে তাত ভাল শিক্ষক নাই। তদুপৰি অসমীয়া মাধ্যমত শিক্ষা দিলে লৰা-ছোৱালীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাত ইংৰাজী কৰ নোৱাৰাৰ কাৰণেই অকৃতকাৰ্য্য হয়।" কিছুমান কথা হয়তো সঁচা। কিন্তু ভাল অসমীয়া স্কুল নাই বুলি আমি সদায়ে কৈয়ে থাকিমনে? এইটোও সত্য যে কিছুমান ক্ষেত্ৰত ইংৰাজী মাধ্যমৰ স্কুল কিছুমানে ব্যৱসায়িক মনোভাৱেৰেহে গঢ় লৈ উঠিছে। হয়তো বহুতো সময়ত এনে ইংৰাজীমুখী এবিধ লৰা-ছোৱালীয়ে মাতৃভাষা ভালকৈ আয়ত্ব কৰিবলৈ সুযোগ বা পৰিবেশ নাপায় কাৰণে নিজৰ ভাষাটোতো নাজানেই, নিজৰ ভাষা নজনাৰ কাৰণে ইংৰাজীও ভালকৈ জানে বুলি কব নোৱাৰি। ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালী কিছুমানৰ মাজত উচ্চাম্ভিকা ভাৱাপন্ন এটা ধাৰাও দেখা গৈছে। আনহাতেদি মেধাসম্পন্ন অসমীয়া মাধ্যমৰ ল'ৰা-ছোৱালীবোৰো হীনমন্যতাত ভুগিব পাৰে আৰু কেতিয়াবা ভোগেও। ইয়াৰ দ্বাৰাই বিভেদৰ বীজো অঙ্কুৰিত হৈছে।

ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাৰ জৰীয়তে জ্ঞান আহৰণ কৰিব নোৱাৰা কাৰণে উপযুক্তি প্ৰকাশ মাধ্যম বিচাৰি নেপাই সাহিত্য আদি সৃষ্টি কৰিব নোৱাৰাতো হৈছেই, পিতৃ-মাতৃ, আত্মীয়-স্বজনৰ লগতো প্ৰাণখুলি কথা পাতিব আৰু চিঠি-পত্ৰ মাতৃ ভাষাত লিখিব নোৱাৰাৰ কাৰণে বিচ্ছিন্ন হৈ পৰিছে তথা নিজা সাহিত্য সংস্কৃতিৰ পৰা আঁতৰি গৈছে।

অসমীয়া মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰী সকলে ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰী সকলক বিশেষ সুবিধা পোৱা "প্ৰিভেলেজড্ ক্লাছ" বুলিও গণ্য কৰা হৈছে। অসমীয়া মাধ্যমৰ ল'ৰা-ছোৱালীৰ হীনমনাতা দূৰ কৰিবৰ কাৰণে ইংৰাজী কোৱাৰ অভ্যাস গঢ়ি তোলাত গুৰুত্ব দিব লাগে। "স্পীকিং ইংলিছ"ৰ তিনিমহীয়া, ছমহীয়া কৰ্চ দিব পৰা ব্যৱস্থা গাঁৱে নগৰে হ'লে আৰু এনে প্ৰশিক্ষণ ললে নিশ্চয় হীনমন্যত আঁতৰিব আৰু সুফল লাভো কৰিব। অসমীয়া মাধ্যমৰ স্কুলত ইংৰাজী এটা বিষয় হিচাপে উপযুক্ত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ দ্বাৰা উচিতভাবে শিকাব লাগে। ইংৰাজী মাধ্যমৰ স্কুলৰ লগত ফেৰ মাৰিব পৰাকৈ সকলো দিশ উন্নততৰ কৰি অসমীয়া মাধ্যমৰ স্কুলবোৰো গঢ় দিবই লাগিব। ব্যৱসায়িক মনোবৃত্তিৰে ইংৰাজী স্কুলবোৰ অধেমধে কাঠফুলাৰ দৰে গজি উঠা ভাল হোৱা নাই। ইংৰাজী আমি শিকিবই লাগিব, সেইবুলি নিজা মাতৃ ভাষাক অশ্ৰদ্ধা কৰি, এটা বিজতৰীয়া শ্ৰেণীত, শিপা নথকা শ্ৰেণী এটাত পৰিণত হম— এই ভয়াবহ অৱস্থা ঘটিবলৈ কেতিয়াও দিব নোৱাৰি। সেয়ে ইংৰাজী মাধ্যমৰ স্কুলতো অসমীয়া ভাষাটোক বিশেষ গুৰুত্ব দি, উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দ্বাৰা শিকাবই লাগিব। ইয়াৰ উপৰি অসমীয়া ঘৰবোৰো অতি সচেতন হব লাগিব। মাতৃভাষাটোৰ সম্পদ, সৌন্দৰ্যৰ জ্ঞান ল'ৰা-ছোৱালীক ঘৰখনেই দিব পাৰিব লাগিব। জতুৱা ঠাঁচ, খণ্ড বাক্য, ফকৰা-যোজনা আদি শিকোৱাৰ উপৰিও নিজস্ব গীত-মাতৰ আবৃত্তি, আপোন মাটিৰ সুৰৰ চৰ্চা ঘৰখনত প্ৰবাহিত কৰি ৰাখিব লাগিব, অসমীয়া কিতাপ-পত্ৰৰ প্ৰতিও সন্তানৰ অনুৰাগ বঢ়াব পাৰিব লাগিব। নহ'লে অসমীয়া ভাষাসাহিত্য-সংস্কৃতিৰ পতাকা খহি নপৰিবলৈ কোনে বহন কৰিব?

জ্ঞানদীপ্ত, উন্নত চৰিত্ৰৰ নাগৰিকেই হৈছে ৰাষ্ট্ৰৰ শ্ৰেষ্ঠ সম্পদ। মানৱ সম্পদ বিকাশৰ কাৰণেই স্বাধীনোত্তৰ ভাৰতবৰ্ষত

শিক্ষাৰ ক্ষেত্ৰত বহুতো পৰীক্ষা-নিৰীক্ষা অবিৰাম চলি আছে। শিক্ষা ব্যৱস্থাক সাৰ্বজনীন কৰি তোলা আৰু শিক্ষাৰ 'মান' (Standard) ৰ উন্নতি সাধনাই হৈছে পৰীক্ষা-নিৰীক্ষাৰ উদ্দেশ্য। শিক্ষাৰ মান উন্নয়নৰ কাৰণেই শিক্ষণীয় বিষয়বোৰৰো পুনৰ্বিন্যাসৰ প্ৰয়োজন দেখা গৈছে। উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হলেহে থুলমুল ভাৱে শিক্ষিত বুলি আজিকালি কব পাৰি। সেয়ে উচ্চ মাধ্যমিক পৰ্যায়ৰ শিক্ষাক বৰ্তমান একপ্ৰকাৰ মান বুলি ধৰা হয় কাৰণেই সেই পৰ্যায়ত বিবিধ বিষয়ৰ লগত সংস্কৃতৰো এক স্থান এই কাৰণেই হোৱা উচিত যে, — অসমীয়া মাতৃভাষা যাৰ, সেই মানুহে মাতৃৰ মাতৃক তেতিয়াহে চিনি পাব আৰু নিজৰ ভাষাৰ উৎস সম্বন্ধে তেওঁৰ জ্ঞান হব। বিশ্ববিদ্যালয়ৰ পৰ্যায়ত 'অসমীয়া' বিষয়টো শিকা "শিক্ষাৰ্থীৰ" পক্ষে সংস্কৃত ভাষাৰ কিছু জ্ঞান থকাটো নিতান্ত প্ৰয়োজনীয় কথা বুলি মুক্তকণ্ঠে মই ঘোষণা কৰিব খোজো। সংস্কৃত পঢ়িলেহে নিজদেশৰ ভাষাৰ সৌন্দৰ্যৰ, ভাষাৰ কলাত্মক ৰূপৰ বিষয়ে ধাৰণা জন্মে। চিন্তাশীল মনীষী ড° ৰাজেন্দ্ৰ প্ৰসাদে কৈছিল—
"Sanskrit is the language of Indian Culture and inspiration, the language in which all her past, greatness, her rich though and her spiritual aspirations are enshrined."

অসমৰ শিক্ষাৰ সমস্যাৰ বিষয়ে দুআষাৰ কৈ এতিয়া বৰ্তমান সাহিত্যৰ দুটিমান সমস্যাৰ কথালৈ আহিছোঁ। প্ৰথমেই আলোচনা কৰিব খুজিছো বৰ্তমানৰ কবিতাৰ কথা। লক্ষ্য কৰিলেই দেখা যাব যে, উনেশ শতিকাৰ ৰোমাণ্টিক কবিতাত জীৱন, ঈশ্বৰ প্ৰেম আৰু প্ৰকৃতিৰ মাজত বিচাৰি পোৱা নিৰুদ্বেগ শান্তি, আত্মতৃপ্তিৰ বিপৰীতে দ্বিতীয় মহাযুদ্ধৰ পিছৰ নতুন কবিতাত উদ্বেগ, দ্বিধা, অবিশ্বাস, নৈৰাশ্য, ক্লান্তি, অনিশ্চয়তাৰ সুৰ মূৰ্ত। ইয়াৰ মূলতেই আছে, দুখন মহাযুদ্ধই সমগ্ৰ বিশ্বৰে নৈতিক আৰু সামাজিক শৃঙ্খলাত দিয়া নিষ্ঠুৰ আঘাত। লগতে শিল্পযুগৰ সঙ্কোচনে অনা যান্ত্ৰিক যুগৰ যন্ত্ৰণা আৰু সঙ্কোচন, উদ্বেগ আৰু অস্থিৰতা। ৰাজনৈতিক চিন্তা আৰু পন্থাৰ পৰস্পৰবিৰোধী সংঘৰ্ষই অৰ্থনৈতিক সঙ্কটে কুৰি শতিকাৰ দ্বিতীয়ার্দ্ধ ক্ৰমে কঁপাই তুলিলে। জীৱনৰ অসুন্দৰ, ভীতিপ্ৰদ দিশৰ লগত জীৱনক পৰিচয় কৰালে। পদাৰ্থ বিদ্যা, গ্ৰহতত্ব, নৃতত্ব, মনস্তত্ব আদি বিজ্ঞানলৈ অহা যুগান্তকাৰী নতুন আৱিস্কাৰ সমূহেও চিন্তাত বৈপ্লৱিক পৰিবৰ্তন আনিলে। এইবোৰৰ উপৰিও ভাৰতবৰ্ষৰ উদ্ভাস্ত সমস্যা, অৰ্থনৈতিক অসমতাকে ধৰি নানান সমস্যাই ভাৰতীয় মনলৈ নতুন নতুন প্ৰশ্ন আনিছে। আন্তৰ্জাতিক চেতনাৰ লগত নিজাদেশৰ এনেবোৰ জটিল সমস্যাই স্পৰ্শকাতৰ কবিৰ অভিজ্ঞতা জটিল কৰি তুলিলে। কবিৰ মনোভঙ্গী সলনি হোৱাৰ লগে লগে কবিতাৰ ভাষা আৰু আঙ্গিকো সলনি হবলৈ বাধ্য হল। কবিৰ নিজস্ব অভিজ্ঞতাৰ লগত বহু আহৃত চিন্তাৰ সমন্বয়ে যি অনন্য নিৰ্য্যাস সৃষ্টি কৰিলে তাৰ তীৰ্য্যক গতি দিবলৈ এইসকল নতুন কবিয়ে তীক্ষ্ণ, বুদ্ধিপ্ৰসূত, সংহত আঙ্গিকৰ প্ৰয়োগ কৰিলে। গতিশীলতা সকলো জীৱন্ত সাহিত্যৰে লক্ষণ। অসমীয়া সাহিত্যও জীৱন্ত সাহিত্য। অসমীয়া আধুনিক কবিতাই আধুনিকতাৰ কেইবাটাও স্তৰ অতিক্ৰম কৰিলে। আন্তৰ্জাতিক বিবিধ কাব্য আন্দোলনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ অসমীয়া আধুনিক কবিতাত পৰিছে যদিও কব লাগিব যে যোৱা দহ বছৰমানৰ ভিতৰত কবিৰ সংখ্যা অগণিত হলেও শিল্পীত সুষমাৰে বিদ্যুৎময় শিহৰণ দিব পৰা, হৃদয় মথিত কৰিব পৰা, অন্তৰত অনুৰণন তুলিব পৰা, বাৰ্তা স্বৰূপাৰ্থত বহন কৰিব পৰা কবিতাৰ সংখ্যা যথেষ্ট তাকৰ। তাৰ কাৰণ কি?

বহু ক্ষেত্ৰত এই নৱাগত কবি সকলে অগ্ৰজ সকলক অন্ধ অনুকৰণ কৰা দেখা যায়। কবি প্ৰতিভাৰ অভাৱ স্বত্বেও বহুতে এই সাধনা কৰিছে। বহুতে নিজক বিচাৰিও পোৱা নাই। তাৰোপৰি নতুন কবিসকলৰ বেছিভাগৰে অনুভৱ উপৰুৱা। সেয়ে নতুন বাৰ্তা দিবলৈ তেওঁবিলাক সক্ষম নহয়। ভাষাৰ যথার্থ প্ৰয়োগ নাজানে কাৰণে প্ৰকাশো সেৰেকা হয়। চিত্ৰকল্প সৃষ্টি আৰু প্ৰতীক সৃষ্টিৰ কাৰণে চেতনাৰ যি গভীৰতা আৰু বিস্তৃতি লাগে তাৰো অভাৱ বহুত কবিৰেই আছে।

মহৎ কবিতা সৃষ্টিৰ কাৰণে প্ৰজ্ঞা আৰু সাধনা দুয়োটাৰে প্ৰয়োজন । প্ৰয়োজন জীৱন সম্পৰ্কীয় জ্ঞানৰ স্পষ্টতাও। চেতনাৰ অস্পষ্ট পটভূমিত সৃষ্টি হোৱা কবিতা অস্পষ্ট, অন্ধ হয়।

প্ৰতি কবিৰে প্ৰত্যক্ষ কৰ্তব্য তেওঁৰ ভাষাটোৰ প্ৰতি আছে। এই কৰ্তব্য ভাষাটো যথার্থ শুদ্ধ ৰূপত সংৰক্ষণ, সম্প্ৰসাৰণ আৰু উন্নতি কৰণৰ লগতে জড়িত। বহুতো আধুনিক কবিৰ নিজা ভাষাৰ বিষয়ে জ্ঞান সীমিত। বহুতৰে নিজস্ব লোকগীতমাত, পদৰ লগত, নিজা ভাষাৰ অতীত আৰু বৰ্তমানৰ লগত কোনো আত্মীয়তা নাই। নাই নিজা সংস্কৃতিৰ বিষয়ে কোনো ধাৰণা। বুদ্ধিৰে তেওঁ কোনো বিষয়ৰ কাষ চাপি গলেও তেওঁৰ হৃদয় তেওঁৰ সামগ্ৰিক সত্ত্বাই তাত সহযোগ কৰিব নোৱাৰে। তেনেকৈ

জীৱনৰ বিচিত্ৰ সঙ্গীত, গভীৰৰ সংগীত তেওঁ যদি মৰ্মত কাণ পাতি শুনিব নেজানে তেন্তে তেওঁৰ কবিতালৈ সাঙ্গীতিক ব্যঞ্জনাও আহিব নোৱাৰে। সেইদৰেই ছন্দতো একে কথা— জীৱনৰ দ্বন্দৰ ছন্দ, স্থিৰ বিশ্বাসৰ ছন্দ, স্তব্ধতাৰ ছন্দ, উচ্ছলতাৰ ছন্দ, অবক্ষয়ৰ ছন্দ আদিৰ পার্থক্য কবিয়ে অনুভৱ কৰিব লাগিব আৰু তাৰ বিশিষ্ট ৰূপ কবিতাত অঙ্কন কৰিব পাৰিব লাগিব।

গীতো কবিতাই। প্ৰতিটো গীতেই সুৰুচি, উচ্চবোধ, জীৱনৰ গভীৰ সৌন্দৰ্যৰ বাণী বহন কৰা হব লাগে। তাল-লয় ছন্দৰ সূক্ষ্মতাৰ বিষয়েও গীতিকাৰৰ জ্ঞান লাগিব। অনাতাঁৰ কেন্দ্ৰ, দূৰদৰ্শনে এইবোৰ কথালৈ চকু দিব লাগে, মান (Standard) খহি যাবলৈ দিব নালাগে।

চুটিগল্প লিখাৰ ক্ষেত্ৰতো প্ৰেৰণামণ্ডিত অৱস্থা এটা এতিয়া নাই। দুই-চাৰিজন নবাগতৰ দুই এটা গল্পৰ 'মান' উন্নত দেখা গ'লেও সেই প্ৰতিশ্ৰুতি সকলো গল্পতে সমানে বহন হোৱা দেখা নাই। বহুতো গল্পকাৰৰ ভাষা অনুন্নত, সেৰেঙা। লিখিলেই গীত, লিখিলেই কবিতা, লিখিলেই গল্প নহয়। জীৱনৰ অভিজ্ঞতাৰ নিটোল নিৰ্যাস হ'লেহে সাহিত্য। কবিতাৰ দৰে চুটিগল্পও ৰসোত্তীৰ্ণ, ব্যঞ্জনাক্ষম হব লাগিব।

শ্ৰাম্যমান ৰঙ্গমঞ্চক ধৰি অসমৰ বিভিন্ন ব্যৱহাৰৰ কাৰণে নাটক সৃষ্টি নোহোৱা নহয়। কিছুমান অনুবাদ, কিছুমান আধাৰিত, কিছুমান মৌলিক। কিন্তু জনপ্ৰিয়তাৰ লক্ষ্য আগত থাকে কাৰণে কেইখনমান নাটৰ বাহিৰে বেচিভাগেই সাহিত্য নহয়গৈ। নাটক কেৱল মঞ্চৰ কাৰণেই নহয়, পঢ়িবৰ কাৰণেও সাহিত্য হিচাপে লাগে। তাৰ অৰ্থে নাট্যকাৰে সাহিত্যৰ কলাত্মক দিশটোৰ কৰ্ষণ কৰিব লাগিব, নাটকত ব্যঞ্জনা দিব পাৰিব লাগিব, আৰু নাটক মহৎ সাহিত্যিক বাণী বহন কৰা হব লাগিব। উন্নত ৰুচিৰ দৰ্শকৰ কাৰণে উচ্চ স্তৰৰ নাটক আৰু সৰ্বসাধাৰণৰ দৰ্শকৰ অৰ্থে জনবোধ্য সহজ নাটক এই দুয়োবিধ অৱশ্যেই আমাক সমান্তৰালভাবে লাগিব।

নাটক আৰু উপন্যাস সৃষ্টিৰ কাৰণে অসমত বিশ্বজনীন সমস্যা, আঞ্চলিক সমস্যা বহুত তৰপৰ উভেনদী হৈ আছে। যান্ত্ৰিক যুগে অনা মূল্যবোধৰ সমস্যা কৰি আত্মদ্বন্দত পথ উলিয়াব নোৱাৰা হতাশা জৰ্জৰিত মানুহৰ, বিভিন্ন সঙ্কটত অতীষ্ঠ সংগ্ৰামী মানুহৰ সমস্যা, অন্ধ সংস্কাৰৰ চাবুকত ক্ষয়প্ৰাপ্ত মানুহৰ মানসিক হাঁহাকাৰৰ সমস্যা, নতুন পুৰুষৰ অনিকেত বাস্তৱ সমস্যা, আবেগিক সমস্যাকে ধৰি মানৱীয় সমস্যাসমূহৰ তীক্ষ্ণ দ্বন্দৰ ৰূপ আৰু সমাধানৰ শুভ ইঙ্গিত নাটক আৰু উপন্যাসত ব্যক্ত কৰিব লাগে। আত্মক্ষয়ী ধ্বংসতা, আত্মহত্যা, হত্যা তথা মৃত্যুৰ বিপৰীতে জীৱনৰ সুস্থতা, শাশ্বত সততা আৰু পোহৰক তুলি ধৰি তীব্ৰভাৱে মানুহক চেতনাসম্পন্ন কৰিব পৰাটোহে সাহিত্যৰ লক্ষ্য হব লাগে। এনে সাহিত্য পঢ়িলে, মঞ্চত দেখিলে অজানিতেই লাহে লাহে সুস্থ, সুন্দৰ ৰুচিয়ে গঢ় লব আৰু আদৰ্শাত্মক আনন্দ লাভ কৰা সমাজখন উচ্চ সংস্কৃতিসম্পন্ন হব। অশালীন, ৰুচি বিগৰ্হিত সাহিত্যই শুভ সমাজ গঠন কৰিব নোৱাৰে।

স্বাধীনতাৰ পাছত নাৰী শিক্ষাৰ প্ৰসাৰ হোৱা আমি লক্ষ্য কৰিছো আৰু সকলো ধৰণৰ কৰ্মত নাৰীৰ সাফল্য গৌৰৱান্বিত ভাবে সাব্যস্ত হৈছে। তথাপিও ইয়াক ভাৰতীয় তথা অসমীয়া নাৰীৰ সম্পূৰ্ণ ছবি বুলি কব নোৱাৰি। ভাৰতৰ হাজাৰ হাজাৰ গাঁৱৰ নাৰী এতিয়াও নিৰক্ষৰ হৈ আছে। নিজৰ অধিকাৰৰ বিষয়ে তেওঁবিলাকৰ বহুতেই নেজানে। তেওঁবিলাকৰ অজ্ঞতাৰ সুযোগ পুৰুষপ্ৰধান সামাজিক ধাৰাবোৰে লৈ আছে। নাৰীৰ মানবীয় অধিকাৰবোৰ বহুত ক্ষেত্ৰত দমন কৰি, বঞ্চিত কৰি ৰখা হৈছে। নাৰীৰ মৰ্যদাও বহুত ক্ষেত্ৰত লাঞ্ছিত হৈ আছে। ইয়াৰ মাজতে নাৰীমুক্তি আন্দোলনৰ নামো সঘনে উচ্চাৰিত হৈছে। নাৰীমুক্তিনো কাক কয় সেই কথাকো প্ৰকৃত অৰ্থতঅৱশ্যে বহুতে বুজা নাই। নাৰীমুক্তিয়ে স্বেচ্ছাচাৰিতা, বিশৃংখলতা নুবুজায়। নাৰীমুক্তিয়ে বুজায় অন্ধ সংস্কাৰৰ পৰা, অজ্ঞতাৰ পৰা মুক্তি। পুৰুষ প্ৰধান সমাজৰ অমানবীয় নৃশংস দমনৰ পৰা মুক্তি। স্ব-অধিকাৰৰ বিষয়ে জ্ঞান, গাৰ্হস্থ্য ধৰ্মৰ বিষয়ে জ্ঞান, নৈতিক-আধ্যাত্মিক কথাৰ বিষয়ে জ্ঞান, প্ৰতি গৰাকী নাৰীৰেই থকা বাঞ্ছনীয়।

লেখক-লেখিকা নিৰ্বিশেষে, বিশেষকৈ লেখিকাসকলে ভাৰতৰ হাজাৰ হাজাৰ গাঁও-চহৰ, জাতি-জনজাতিৰ নাৰীৰ অন্তৰ্বেদনা কাণ পাতি সহৃদয় তাবে শুনিব লাগিব, হাঁহি-অশ্ৰু-বেদনাক শিল্পৰূপ দিব পাৰিব লাগিব, সকলোবে বিচাৰ-বিবেচনাৰ বাবে সত্যক, সমস্যাক পতাকাৰ দৰে তুলি ধৰিব পাৰিব লাগিব। দৃপ্ত লেখনিৰে নাৰীৰ মানবীয় অধিকাৰৰ দাবী প্ৰতিপন্ন কৰি অবিকৃত, সুস্থ সমাজ গঢ়ি তুলিব লাগিব— শব্দৰেই, যথাৰ্থ শব্দৰ সাহিত্যৰেই। নাৰীৰ আত্মসম্মানবোধ প্ৰজ্জলিত শিখাৰ দৰে জ্বলাই তুলিব লাগিব মহৎ সাহিত্য স্বৰূপ শব্দই। শব্দয়ে পুৰি ছাই কৰি দিব লাগিব নাৰীক লাঞ্ছনা কৰা সমাজৰ

দুমুখীয়া নীতি। অৰ্দ্ধ-আকাশ স্বৰূপ নাৰীক সাহিত্য ক্ষেত্ৰত প্ৰেৰণা দিবলৈ অসমত স্থাপিত হৈ, বহুতো প্ৰশংসনীয় কাৰ্য্য কৰা "অসম লেখিকা সমাৱোহ সমিতি" আৰু "অসম লেখিকাসভা" এই দুই অনুষ্ঠানৰ নাম এই ক্ষেত্ৰত গৌৰৱেৰে আমি লব পাৰো।

নবীনসকলেও সদৌ অসম ভিত্তিত নিজৰ সাহিত্যৰ এখন মঞ্চ সৃষ্টি কৰিছে। শুভ কৰ্মত ঐক্যবদ্ধ হোৱাটো বৰ আনন্দৰ কথা। ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক অসমতাত হতাশাগ্ৰস্ত হৈ আদৰ্শৰ তিনিআলি, চাৰিআলি, পাঁচআলিৰ দোমোজাত নাথাকি সৃষ্টিশীল কৰ্মত প্ৰবৃত্ত হব পৰাকৈ তেওঁবিলাক একত্ৰিত হৈ থাকক, মৃত্যুৰ বিপৰীতে জীৱনৰ, অসত্যৰ বিপৰীতে সত্যৰ অনুসন্ধান কৰক, একান্তভাবে অধ্যয়ন অনুশীলন কৰক, ক্ষেত্ৰ অধ্যয়নেৰে প্ৰাচীন সাহিত্য-সংস্কৃতিৰ উদ্ধাৰ, সংৰক্ষণ আৰু গৱেষণাৰ কৰ্মতো তেওঁবিলাকৰ উদ্যমশীল, নতুন ৰক্ত প্ৰযোজিত হওক।

অসমৰ শিশু সাহিত্যলৈ চকু দিলে দেখা যাব যে, শিশুৰ কাৰণে জ্ঞানৰ সাহিত্য, প্ৰাণৰ সাহিত্য দুয়োটাই আমাক লাগে। শিশু সাহিত্য চাবলৈ গ'লে আধুনিক সৃষ্টিহে। আগতে আমাৰ সমাজত শিশুৰ কাৰণে আছিল সাধুকথাবোৰ, ওমলা গীতস্বৰূপ ধাই নামবোৰ, এতিয়া বয়স বিভাগ অনুপাতে শিশু সাহিত্য সৃষ্টি কৰাৰ নিয়ম হৈছে— তিনি বছৰৰ পৰা ছবছৰ, ছবছৰৰ পৰা ন বছৰ, আৰু ন বছৰৰ পৰা বাৰ বছৰ। বাৰ বছৰৰ পাছত শিশু কিশোৰ অৱস্থা প্ৰাপ্ত হয়। অৱশ্যে বুদ্ধি-বৃত্তিৰ তাৰতম্যও থাকে।

ব্যৱহাৰিক জগতখনত শিশু লোকৰ আশ্ৰয়ত থাকে যদিও শিশুৰ কল্পনাৰ জগতখন নিজৰ, আৰু এই কল্পনা অতি প্ৰখৰ। শিশুৰ কাৰণে জ্ঞানৰ সাহিত্যও প্ৰাণৰ সাহিত্যৰ ৰূপত ৰচনা কৰিব পৰাটো চমৎকাৰ কথা। প্ৰাণৰ সাহিত্য লাগে শিশুৰ আনন্দৰ কাৰণে। শিশুৰ মনৰ আমনি গুচাই শিশুৰ মুখত হাঁহি জিলিকাবৰ কাৰণে, জীৱনৰ চউদিশক ভাল পাবৰ কাৰণে, জীৱনৰ সৌষ্ঠৱ বঢ়াবৰ কাৰণে।

শিশুৰ কাৰণে 'শব্দ' বৰ আকৰ্ষণীয়, শিশুৰ কাৰণে "ছন্দ" বৰ আকৰ্ষণীয়, "ছবি" বৰ আকৰ্ষণীয়, "সুৰ" বৰ আকৰ্ষণীয়। ছবিৰ মাজেৰে চিন্তা বঢ়াব পাৰি, বিষয় উপস্থাপন কৰিব পাৰি। শব্দৰ মাজেৰে কল্পনা বঢ়াব পাৰি, নতুন শব্দ শিকাবও পাৰি। ছন্দ আৰু সুৰৰ মাজেৰে হৃদয়ত অনুৰণন তুলি বিষয়টো আকৰ্ষণীয় কৰিব পাৰি। শিশু সাহিত্য ৰচনা কৰা বৰ কঠিন কাম। সহজ কথাৰে লিখিলেই শিশু সাহিত্য নহয়। শিশুৰ মনৰ লগত একাত্ম হব নোৱাৰিলে এই কাম কৰা সম্ভৱ নহয়। সুৰুচিৰ জ্ঞান নথকা, ছন্দ নজনা, শব্দ নজনা মানুহেও এই কাম কৰিব নোৱাৰে। শিশুৰ কাৰণে বয়সৰ লগত ৰজিতা খোৱা গীত, আবৃত্তি কৰিব পৰা কবিতা, মঞ্চস্থ কৰিব পৰা নাটক, আনন্দ আৰু কৌতুহল বঢ়াব পৰা গল্প-উপন্যাস আমাক অজস্ৰ লাগে। তেনেকৈয়ে আনৰ লগত ফেৰ মাৰিব পৰাকৈ শিশুৰ কাৰণে সুন্দৰ আলোচনীৰো একান্ত প্ৰয়োজন হৈ পৰিছে।

অসম সাহিত্য সভাই নিজা সংস্কৃতিৰ স্খলন পতনৰ প্ৰতিও নিশ্চয় লক্ষ্য ৰাখিব লাগিব। কেৱল মানুহৰেই সংস্কৃতি আছে। অৰ্থাৎ মানুহ হিচাপে মানুহৰ আচল পৰিচয়েই হ'ল সংস্কৃতি। সেইবুলি সংস্কৃতিৰ অৰ্থ কেৱল গীত, কেৱল নৃত্য, কেৱল সঙ্গীত নহয়। সংস্কৃতি শব্দৰ মাজতেই মানুহৰ কৃতিৰ বা সৃষ্টিমূলক সকলো সক্ৰিয় প্ৰক্ৰিয়াৰ ইঙ্গিত নিহিত হৈ আছে। একেখন সমাজৰ জীৱিকা-নিৰ্বাহৰ প্ৰণালী, গৃহ নিৰ্মাণৰ চানেকি, সমাজ যাত্ৰাৰ বাস্তৱ ব্যৱস্থা, আচাৰ-ব্যৱহাৰ, অনুষ্ঠান, ৰীতি-নীতি, চিন্তা-কল্পনা সকলোতে সংস্কৃতি কথাষাৰৰ তাৎপৰ্য্য আছে। দৰ্শন, সাহিত্য-চিত্ৰ, ভাস্কৰ্য্য, স্থাপত্য, সঙ্গীত আদি মানসিক সকলো সম্পদ আৰু কৃষ্টি-সংস্কৃতিৰ অন্তৰ্ভুক্ত।

কৃষিজীৱী সমাজৰ সংস্কৃতিৰ এটা অতি সুন্দৰ স্তৰ অসমীয়া জীৱনৰ কেন্দ্ৰীয় ধাৰাটোত ফুটি ওলাইছিল। সুৰুচিসম্পন্ন, কল্যাণময়ী অসমৰ নাৰী সকলৰ হাততেই অসমৰ লোকসংস্কৃতি সুন্দৰতম ৰূপত সজ্জিত আৰু সংৰক্ষিত হৈ আছিল। কথা-বতৰাত, উঠা-বহাত, দিয়া-থোৱাত, খোৱা-বোৱাত, পিন্ধা-উৰাত, আচাৰ-নীতিত, উৎসৱ-পৰৱ সকলোতে অসমীয়া নাৰীৰ লখিমী হাতৰ আৰু সুৰদি মাতৰ সৌন্দৰ্য্য জিলিকি আছিল। অনুপম সুৰ সম্ভাৰেৰে জীৱনক মৌসনা কৰি ৰাখিছিল। যান্ত্ৰিক যুগে এতিয়া সকলো নিঃশেষ কৰি আনিছে। অসমীয়া সংস্কৃতিয়ে নিজৰ "পেটাৰ্ণ" হেৰুৱাই এতিয়া বিজতৰীয়াও হৈ পৰিছে। সেয়ে এতিয়া অধিক সচেতন হৈ, পৰিচিত পটভূমিতে নিজস্ব অমৃতখিনি হেৰাবলৈ নিদিয়াকৈ ৰাখিব লাগিব। অসমীয়া ঠাঁচ, অসমীয়া উচ্চাৰণ, অসমীয়া সুৰ, অসমীয়া সাজ, অসমীয়া জুতি, অসমৰ নৃত্য, অসমৰ বাদ্য যদি আমি এৰি পেলাওঁ আমি অসমীয়া হৈ কিহেৰে আৰু ক'ত জীয়াই থাকিম! নিজা সংস্কৃতিৰ উৎকৰ্ষত, গুণগত ধাৰাটোৰ ওপৰতহে এটা জাতিৰ উদ্‌গতি

নির্ভৰ কৰে।

সেয়েহে আমাৰ নিতান্তই, আৰু আগু কৰণীয় কামৰ বিষয়ে তৎপৰ হব লাগে। লক্ষ্য কৰিলেই দেখিম যে অসমৰ লোক সাহিত্যৰ বিভিন্ন সমলবোৰ প্ৰকৃত প্ৰসঙ্গৰ পৰা উদ্ধাৰ কৰি সেইবোৰৰ ৰূপতাত্ত্বিক আৰু সমাজতাত্ত্বিক আলোচনা পদ্ধতিগতভাবে হোৱা নাই। বিশেষকৈ অসমৰ জনজাতীয় অঞ্চল, গোৱালপাৰা, দৰং আদি অঞ্চলৰ বিভিন্ন সমাজৰ প্ৰচলিত, চৰ অঞ্চলত প্ৰচলিত, চাহ শ্ৰমিকসকলৰ মাজত প্ৰচলিত গীত-পদবোৰ, আখ্যান, কাহিনীবোৰ পদ্ধতিগতভাৱে সংগ্ৰহ সম্পাদনা কৰিবই লাগে।

অৰ্দ্ধ নাটকীয় সমল বিশিষ্ট লোক পৰিবেশ্য কলাসমূহ যেনে কুশাণ গান, ভাৰী গান, খুলীয়া ভাওনা, আদিৰ ঐতিহাসিক, তুলনামূলক, সাংস্কৃতিক আদি বিভিন্ন দিশৰ পৰা আলোচনা কৰিব লাগে। লোক চিত্ৰ বিশিষ্ট প্ৰাচীন পুথিৰ (উদাহৰণ স্বৰূপে "লঙ্কাকাণ্ড") প্ৰকাশৰ ব্যৱস্থা ইত্যাদিৰ শিল্প-তত্ত্বৰ বিষয়ে যেনেকৈ চৰ্চা হব লাগে তেনেকৈ জনজাতীয় কাপোৰৰ ন'ী, আৰু জমিন, ৰং দিয়া পদ্ধতি আৰু বয়ন পদ্ধতি ইত্যাদিৰ বিষয়ে অধ্যয়ন হব লাগে। আমাৰ মুখা আৰু পৰম্পৰাগত লোক বাদ্যযন্ত্ৰ সমূহবোৰ সংগ্ৰহ আৰু অধ্যয়ন হোৱা উচিত। শেষত এতিয়াই আমি হাতত লব লগা কেইখনমান আঁচনিৰ কথালৈ আহোঁঃ

(১) প্ৰথমেই হৈছে শাখা সভাবিলাকক অধিক সক্ৰিয় কৰি তোলাৰ কথা। বিভিন্ন অঞ্চলত উদ্যমী আৰু উচৰ্গিত মনৰ কৰ্মী হলেহে অসম সাহিত্য সভাখন গতিশীল হব। শাখা সভা প্ৰতিখনেই নিজ নিজ অঞ্চলৰ সাঁচিপতীয়া, তুলাপতীয়া পুথি-পাঁজি, মুদ্ৰা-ভাস্কৰ্য্য, অন্যান্য শিল্পকলা, পৰম্পৰাগত গীত-মাত উদ্ধাৰ কৰিব লাগিব আৰু সংৰক্ষণ কৰিব লাগিব। শাখাটোত এদলে এনে অভিযানৰ কাম, আনদলে নিবিষ্টমনে সৃষ্টিশীল সাহিত্যৰ কাম, অনুবাদ সাহিত্যৰ কামত আত্মনিয়োগ কৰি নতুন সকলকো প্ৰেৰণা দি, বছৰৰ শেষত, বছৰটো কিমান সফল হ'ল নিৰ্ণয় কৰিব লাগে। এইক্ষেত্ৰত সৰ্বোত্তম কাম কৰা শাখাক কেন্দ্ৰীয় সাহিত্য সভাই বঁটা দিয়াৰ ব্যৱস্থা কৰিব পাৰে। প্ৰতিখন শাখা যদি সক্ৰিয় হয় এবছৰতে অসম সাহিত্য সভাৰ কাম উৰ্ভেনদী হব।

(২) অসম সাহিত্য সভাৰ সভাপতি, সম্পাদক বছৰি সলনি হৈ থাকিলেও সেই সলনিয়ে স্পৰ্শ নকৰা ৰূপত অসম সাহিত্য সভাই স্থানীয় ভাবে এখন সমিতি বিশেষজ্ঞ সকলক লৈ গঠন কৰিব পাৰে। তাৰ কাৰণে বিশদ আঁচনিও জনাজনে কৰিব লাগিব। সেই আঁচনিখন হব "অসম আৰু অসমীয়া জীৱন ধাৰা সম্পৰ্কীয় সকলো তথ্যপাতিৰ টোকা সম্বলিত গ্ৰন্থ পঞ্জী" (Annotated Bibliography) পুৰণি কালৰ পুথি-পাঁজিৰ পৰা আৰম্ভ কৰি এতিয়ালৈকে যিমানবোৰ কিতাপ-পত্ৰ আৰু আলোচনী আদি প্ৰকাশ হৈছে সেইবোৰতে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ে কৰা গবেষণা আৰু চিন্তা-চৰ্চাৰ সমলবোৰ সিচঁৰতি হৈ আছে। অথচ, সেইবোৰৰ ধাৰাবাহিক তালিকা নাই, কোনে কি লিখিছিল, কেতিয়া ক'ত প্ৰকাশিত হৈছিল, তাৰ কোনো বিবৰণী নাই। অতি প্ৰয়োজনীয় আৰু অপৰিহাৰ্য্য সামগ্ৰী আৰু সমল ইতিমধ্যে হয়তো বহুতো নষ্ট হ'ল আৰু বাকী যি আছে সিও লোপ পোৱাৰ পথত। সেয়ে সকলোবোৰ সমলৰ বিস্তৃত বিৱৰণী (Annoteted Bibliography) এখন কৰাৰ কাম আৰম্ভ হব লাগে। সময়ে সময়ে সেই গ্ৰন্থ পৰিবৰ্দ্ধিত হৈ গৈ থাকিব।

(৩) অসমৰ সাহিত্য-সংস্কৃতি সেৱীসকলৰ জীৱনী, ফটো, নিজা সৃষ্টিকৰ্ম, হস্তাক্ষৰ, আৰু আনে সেই সাহিত্যিকৰ বিষয়ে লিখা গ্ৰন্থ বা ৰচনা সম্বলিত একোটা "ৰেফাৰেন্স লাইব্ৰেৰী" ঠাই বিশেষে বা কেন্দ্ৰীয়ভাবে যোৰহাটতে অসম সাহিত্য সভাই পাতিব পাৰে। অঞ্চল বিশেষে উদাহৰণ স্বৰূপে শিৱসাগৰতে যদি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, কবি যতীন্দ্ৰনাথ দুৱৰা, কবি নাট্যকাৰ পার্বতী প্ৰসাদ বৰুৱা, সাহিত্যিক পদ্মধৰ চলিহা প্ৰমুখ্যে সাহিত্যিকসকলৰ সৰ্বকৰ্ম সম্বলিত একোটি ৰেফাৰেন্স বিভাগ থকা লাইব্ৰেৰী হয় তাৰ দ্বাৰা সন্মান প্ৰদৰ্শনো হয়, তাকে লৈ গবেষণা কৰিবও পাৰি, বাহিৰৰ পৰা অহা অনুৰাগী মানুহক দেখুৱাবও পাৰি। (আমেৰিকাত দেখিছোঁ জীৱিত নবীন লেখক একোজনৰো জন্মৰ তাৰিখ, ফটো, জীৱনী, সাহিত্য কৰ্ম এনে লাইব্ৰেৰীত সংৰক্ষিত হৈছে।)

(৪) অসমীয়া ভাষাৰ আখৰ জোঁটনিক লৈ হোৱা তৰ্ক-বিতৰ্ক সমস্যাৰ ওৰ আজিও পৰা নাই। মতানৈক্য আঁতৰাই, ঐকমত্যত প্ৰতিষ্ঠিত হব পৰাকৈ এখন শুদ্ধ অভিধান আৰু শুদ্ধ ব্যাকৰণ প্ৰণয়ন কৰিব লাগে। কেইবাটাও খণ্ডত প্ৰস্তুত কৰা আঞ্চলিক অভিধানো আমাক লাগে।

(৫) অসমীয়া ভাষাৰ উচ্চাৰণৰ খেলি-মেলি তথা অশুদ্ধতা আঁতৰাবলৈ দূৰদৰ্শন আৰু আকাশবাণীৰ যোগেদি অসম সাহিত্য সভাই শুদ্ধ প্ৰশিক্ষণ দিওৱাৰ আঁচনি হাতত লব লাগে।

(৬) প্ৰতিদিনে ব্যৱহাৰ হোৱা, অন্যান্য ভাষাৰ পৰা অসমীয়া ভাষালৈ অহা শব্দাৱলী সংগ্ৰহ কৰি, তাৰ পৰিভাষা সৃষ্টি কৰি এখন লাগতিয়াল গ্ৰন্থ প্ৰস্তুত কৰাৰ আঁচনি ল'ব লাগে।

(৭) বিজ্ঞান সাহিত্যৰ গুৰুত্ব দিনক দিনে বাঢ়িছে। সৰ্বসাধাৰণে হৃদয়ঙ্গম কৰিব পাৰাকৈ বিজ্ঞান সাহিত্যৰ বিভিন্ন শাখাৰ পুথি প্ৰণয়নত অধিক গুৰুত্ব দিব লাগে।

(৮) চিত্ৰ-কলা, স্থাপত্য কলা, ভাস্কৰ্য্য আৰু অন্য জনসংযোগ কলাৰ গ্ৰন্থ অসমীয়া ভাষাত তেনেই কম। সেই বিষয়ৰ পুথি প্ৰণয়নৰ চিন্তা কৰা যুগুত।

(৯) বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ নিৰ্বাচন কৰি অসমীয়া ভাষালৈ অনুবাদ কৰাৰ ব্যৱস্থা কৰাৰ লগতে "অনুবাদকৰ থুল" (Translators Booth) এটাও গঢ়ি তুলিব লাগে। কিন্তু তাতোকৈও ডাঙৰ কথা সৃষ্টিশীল উচ্চ পৰ্য্যায়ৰ সাহিত্যও আমাক বহুত বেছি লাগে।

(১০) অসমীয়া সংস্কৃতিৰ সামগ্ৰিক বুৰঞ্জী এখন প্ৰণয়নৰ ব্যৱস্থা হ'ব লাগে।

(১১) ভাষাৰ সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত সংবাদ পত্ৰ, আলোচনী আদিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সংবাদ পত্ৰ, আলোচনীত শব্দৰ যাতে বিকৃত ব্যৱহাৰ নহৈ যথাৰ্থ ব্যৱহাৰ হয়, বাক্যৰ শুদ্ধ বিন্যাস হয় তাৰ কাৰণে সম্পাদকসকল সচেতন হব লাগে। সমালোচনা সাহিত্য যিহেতু আমাৰ দুৰ্বল সেয়ে এনে ৰচনাত প্ৰবৃত হবলৈ লেখকক প্ৰেৰণা যোগাব লাগে।

(১২) সাহিত্য সংস্কৃতিৰ প্ৰচাৰৰ কাৰণে তেনেই সৰু সৰু পুস্তিকা উলিওৱাৰ ব্যৱস্থা হব লাগে।

(১৩) মহিলা সাহিত্য সেবীৰ বিকাশৰ কাৰণে জিলা ভিত্তিক সাহিত্য প্ৰতিযোগিতা মহিলা সকলৰ কাৰণে ঘনাই হোৱা বাঞ্ছনীয়।

(১৪) অষ্ট্ৰিক, দ্ৰাবিড়, চীন-তিব্বত আৰু ইন্দো-আৰ্য্য এই চাৰিটা বিশাল ভাৰতীয় বাক পৰিবাৰৰ অন্তৰ্গত ভাষাসমূহ তিনি হাজাৰ বছৰ বা তাৰো বেছি সময় জুৰি ওচৰা-ওচৰিকৈ বসবাস কৰিছে আৰু পৰস্পৰক প্ৰভাৱান্বিত কৰিছে। পাৰস্পৰিক প্ৰভাৱৰ ফলত বৰ্তমান ভাৰতীয়, বিশেষকৈ উত্তৰ-পূব ভাৰতীয় ভাষাসমূহৰ ক্ষেত্ৰত এটা সুকীয়া ভাৰতীয় চৰিত্ৰৰ অভ্যুত্থান ঘটিছে। এই সুকীয়া বিশেষ চৰিত্ৰটো অধ্যয়ন কৰিবৰ কাৰণে, তথা পাৰস্পৰিক প্ৰভাৱৰ কথা জানিবৰ কাৰণে আৰু তাৰ দ্বাৰা নিজস্ব ভাষাটোকো ভালকৈ জানিবৰ কাৰণে উত্তৰ-পূব ভাৰতৰ ভাষাসমূহৰ অনুসন্ধান, অধ্যয়ন আৰু গৱেষণা ("নৰ্থ ইষ্ট ডায়লে" চাৰ্ভে আৰু ষ্টাডি") অনতিপলমেই আৰম্ভ কৰিবলৈ অসম সাহিত্য সভাই চৰকাৰক টানি অনুৰোধ কৰিব লাগে। এই কাম হ'লে, জনজাতীয় প্ৰতিটো ভাষাৰ বৈজ্ঞানিক অধ্যয়ন হব তথা প্ৰতিটোৰে অভিধান, ব্যাকৰণ, শব্দকোষৰ বিষয়ে আমি গ্ৰন্থ পাম আৰু পাৰস্পৰিক উন্নত বুজাবুজি হব।

বৰ্তমান সময়ত প্ৰয়োজন বুলি ভৱা এই কামখিনিৰেই মোৰ ভাষণ সামৰিব খুজিছো। আপোনাসকলে ধৈর্য্য ধৰি কথাখিনি শুনা কাৰণে মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

-- * --

৫৮তম অধিৱেশন

গোৱেশ্বৰ ঃ ১৯৯২ চন

লক্ষ্যধৰ চৌধুৰী

জয়জয়তে এই সভাত সমবেত হোৱা সাহিত্য প্রেমী ৰাইজলৈ আমাৰ ভক্তিপূর্ণ সেৱা আগবঢ়াইছোঁ।

এইহেন পৱিত্র মাতৃভাষাৰ মহামেলত মোক সভাপতি ৰূপে নিৰ্ৱাচিত কৰি আপোনালোকে যি উদাৰতা আৰু মহানুভৱতা দেখুৱালে তাৰ বাবে মই চিৰকৃতজ্ঞ। কিন্তু ভাবি আচৰিত হৈছো যে মোৰ কোনো যোগ্যতা নথকাতো এনে এটি সম্মানিত পদত আপোনালোকে মোক বহুৱালে কিয়?

মই এজন চুটি চাপৰ মানুহ, মোৰ উশাহো চুটি আৰু চিন্তাৰ পৰিষৰো চুটি। সেয়েহে মই ভাবি ঠাৱৰ কৰিব নোৱাৰো— আপোনালোকৰদৰে এখন জ্ঞানী সমাজে আমাৰ প্রতি এনে আদৰ যাচিলে কিয়? বয়সৰ বাহিৰে মোৰ কোনো অর্হতা নাই। তথাপি এই পদ আমালৈকে আগবঢ়োৱাত আমি ভাৰিবলৈ বাধ্য হৈছো "হস্তীৰো পিছলে পাও, সজ্জনৰো বুৰে নাও।" বোলা কথাষাৰ আজি এই ক্ষেত্রতে ভালকৈ খাটে। সেয়ে মোৰ হ'ল — কিন্তু আপোনালোকে সোণ বুলি কাঁচকে সামৰিলে।

অসম সাহিত্য সভা অসমৰ ৰাইজৰ হিয়াৰ আমঠু স্বৰূপ, জনসাধাৰণৰ ই প্রাণৰো প্রাণ। সেয়ে এই সভাত ৰাইজৰ সমাগম বেছি হোৱাটো স্বাভাবিক; এই কাৰণেই বহুতে এই সভা মেলামুখী হৈছে বুলি বক্রোক্তি কৰা বহুতে শুনিছো। কাকতে পত্রেও এই বিষয়ে লিখা লিখি হৈছে। কিন্তু এইটো ৰাইজৰ বা সভাৰ দোষ নহয়। ভাষাজননীৰ প্রতি থকা শ্রদ্ধা আৰু ভক্তিৰ কাৰণেই এনেদৰে ৰাইজে ইয়াক চাবলৈ বা নিবলৈ আহে।

আমি ৰাজনৈতিক দলৰ সমাবেশ দেখিছো। এইবোৰ সভালৈ বা সমাৰোহলৈ দলৰ তৰফৰ পৰা বহুতো খৰচ কৰি— আনকি বাচ, গাড়ী, ট্রাকেৰে মানুহ কঢ়িয়াই আনে। কোনো কোনো সমাৰোহৰ উদ্যোক্তাসকলে জনমুৰি হাজিৰা দি মানুহ থুপায়। কিন্তু সাহিত্য সভাৰ ক্ষেত্রত— সি ওলোটা ৰূপ লয়। ৰাইজে নিজৰ গাঠিৰ ধন খৰচ কৰি আনকি পৰিয়াল সমষিতে বাটকুৰি বায়ো— এই সভালৈ আহে। এই সভাৰ বিশেষত্ব সেইখিনিতেই। ই ৰাইজৰ সভা— ৰাইজে পতা সভা। ইয়াত সভা আৰু ৰাইজ একাকাৰ হৈ পৰে। কিন্তু এনে আগ্রহ— এনে অন্তৰ উজাৰি দিয়া ভক্তিক আমি প্রকৃত সেৱাত লগাব পৰা নাই। সেইখিনিতেই আমাৰ ব্যর্থতা। এই লোক শক্তিক সংগঠিত কৰি সাহিত্য সভাৰ উদ্দেশ্য, নীতি আৰু কার্য্যত সহযোগ কৰাৰ সুবিধা আমি দিব নোৱাৰাৰ কাৰণে এনে এক বিৰাট লোক শক্তিৰ অপচয় ঘটিছে। আমাৰ সাহিত্যসেৱী সকলে এই লোক শক্তিক এক সাহিত্য-সাংস্কৃতিক দিশলৈ ৰূপান্তৰিত কৰিবলৈ যত্ন কৰা উচিত। সাহিত্যক জনমুখি কৰি তোলাৰ ই এক অপূর্ব সুযোগ। কিন্তু আমি সেই ধৰণে চিন্তা বা কার্যপন্থা লোৱাত ব্যর্থ হৈছো। সেয়েহে আমাৰ আন্তৰিক অনুৰোধ— আৰু অকণো ক্ষণ ব্যয় নকৰি আজিয়েই এই প্রক্রিয়া আৰম্ভ কৰাটো উচিত হ'ব। এই সাহিত্য সভাৰ যে ত্রুটি-বিচ্যুতি নাই সেইটো আমি কব বিচৰা নাই। সেই বুলি সভাই একো কৰা নাই বুলি কৰা সমালোচনাও আমি সহজে মানি ল'বলৈ টান পাইছো। অৱশ্যে বহুখিনি কৰিলেও— বহুখিনি যে কৰিব আছে— সেইটো স্বীকাৰ কৰিব লাগিব।

এটা কথা উঠিছে। বছৰি এই সভা পতালৈ। এচামে কব বিচাৰে প্রতি বছৰে এনেদৰে মেলামুখি সাহিত্য সভা পাতি ধন আৰু শক্তিৰ অপচয় কৰা হয়। এই বিষয়ে সভাৰ নিয়মাৱলী পৰিৱর্তন বা সংশোধন নকৰিলে— অকলে এজনে এনে এটা কামত হাত দিয়াতো উচিত নহব। তেনে কৰিলে সংবিদান বিৰোধী কার্য্য হব। সেয়ে আৱশ্যক বোধ কৰিলে সভাৰ সংবিধান

সংশোধন কৰি ইয়াৰ গতিশীলতা ৰক্ষা কৰাটো আমি কামনা কৰো। এই বিষয়ে সভাই মনোনিবেশ কৰাৰ কথাও আমাৰ কাণত পৰিছে। সেয়ে সময়োপযোগী — এখন সংবিধান যুগুতাই লোৱাটোত আমি নিজেও সমর্থন কৰো।

এজন প্ৰবীন সাংবাদিক আৰু সম্পাদকে আমালৈ এটি গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। তেখেতে লেখিছে 'আপুনি হয়তো স্বীকাৰ কৰিব যে অসমীয়া ভাষা সাহিত্যৰ পৰিসৰ সংকোচনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই প্ৰক্ৰিয়া বন্ধ কৰিবৰ বাবে অসমীয়া ভাষী আৰু অসমীয়া প্ৰেমী ৰাইজৰ কৰ্ত্তব্য কি হোৱা উচিত বুলি আপুনি বিবেচনা কৰে?"

প্ৰশ্নটো অতি গুৰুতৰ। ইয়াক সহজে উলাই কৰিব নোৱাৰি। আমাৰ বহুতৰে অসমীয়া ভাষাৰ প্ৰতি অৱহেলা— তদুপৰি ইংৰাজী-মাধ্যমলৈ আকৰ্ষণ আদিয়ে ভাষাৰ ক্ষেত্ৰত যে কিছু পৰিমাণে আউল লগাইছে সেইটো দেখ দেখ সঁচা কথা। সেই বুলি আমি সহজে হতাশ হব নালাগিব। তদুপৰি ভাষাৰ সীমা নাই। ভৌগোলিক সীমাই ভাষাৰ সীমা নহয়। সেয়ে প্ৰকৃত মানৱীয় সাহিত্যৰ কেতিয়াও হৰণ-ভগন নহয়। সি সীমা পাৰ হৈ বিয়পিব। কিন্তু আজিৰ পৰিবেশত এনে এটি শঙ্কা উদয় হোৱাটো স্বাভাৱিক। এই সন্ধিক্ষণত আমি এই পৰিবেশৰ সলনি ঘটাবলৈ সন্তৰ্পণে আগবাঢ়িব লাগিব। আমাৰ নিজৰ দোষ-ত্ৰুটিবোৰো ভালদৰে চালি-জাৰি নিজকে নিকা কৰাৰ সময়ো উপস্থিত হৈছে।

অসমীয়া ভাষা সমন্বয়ৰ ভাষা। ইয়াৰ উৎপত্তিৰ উহ বৰ অতুলনীয়। অসমত তেতিয়া প্ৰায় এশৰ ওপৰ কথিত ভাষা আছিল বুলি বুদ্ধিজীৱী সকলে কৈছে। সেইবোৰ কথিত ভাষা নিজৰ সমাজতহে সীমাবদ্ধ। সেয়ে আন আন গোষ্ঠীৰ সৈতে মন বিনিময় আৰু ব্যৱসায় লেন-দেন কৰিবলৈ অসমীয় ভাষাকে সাৰোগত কৰি লৈছিল। অসমৰ ভাষা সাংস্কৃতিৰ জনকস্বৰূপ শ্ৰীশ্ৰীশঙ্কৰদেৱক সেই সকলে তেৱাৰ দুৰ্যোগৰ সময়ত ৰক্ষণাবেক্ষণ দিছিল।

এওঁলোকৰ সহযোগত গুৰুজনাই নিজৰ মত, নিজৰ দৰ্শন, নিজৰ এক মোহনীয় সংস্কৃতিৰ ধাৰা প্ৰতিষ্ঠা কৰিছিল। কিন্তু আজি আমি এনে মনোভাব পোষণ কৰিছো, যি এটি ভয়াবহ পৰিবেশ গঢ়ি তুলিছে। বড়ো, কাৰ্বি, মিছিং, টাই আদি ভাষাই গা কৰি উঠাতো শুভলক্ষণ। সেইবোৰ ভাষাৰ উন্নতিৰ লগতে আমাৰ উমৈহতীয়া অসমীয়া ভাষাৰো উন্নতি হব। ৰৰলুইত বাঢ়িবলৈ হ'লে বিভিন্ন শাখানদী বা সুঁতিবোৰো বঢ়াৰ আৱশ্যক হয়। ভাষাৰ ক্ষেত্ৰতো সেই একে কথা। সেয়ে সকলোৱে একেলগে বহি এই ভাষাসমূহৰ বিষয়েও উচিত ধ্যান-ধাৰণা কৰাতো আমি কামনা কৰো।

ৰাজনৈতিক ধামখুমীয়াত ভাষাৰ ক্ষেত্ৰতো যে কেতিয়াবা মৃদু বা বৃহৎ জোকাৰণি সহ্য কৰিব লগা হৈছে, সেইটো স্বীকাৰ কৰিবই লাগিব। তথাপি আমি হতাশ হব নালাগিব। আমি একেলগে একেটা ছাতিৰ তলতেই গোট খাই এই ধুমুহা ঢেৰেকনিৰ মাজেৰেই দৃঢ়ভাবে আগবাঢ়িব লাগিব। জোনাকী যুগৰে পৰা "আৱাহন" যুগলৈকে আমাৰ সাহিত্যৰ ঘাই কেন্দ্ৰস্থল আছিল— কলিকতা। স্বাধীনতাৰ পিছত জয়ন্তী, ৰামধেনু যুগত ই সলনি হৈ গুৱাহাটী পালেহি। লগে লগে যোৰহাট আদিতো তাৰ পেখম ধৰিলে। কিন্তু আজি এই চহৰ নগৰ সাহিত্যৰ কেন্দ্ৰস্থল হ'লেও ই নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ পৰা নাই যেন অনুভৱ হয়। সেয়ে ই অসমৰ বিভিন্ন ঠাইত বিভিন্ন গাঁৱৰ চুকে কোনে ইয়াৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি সাহিত্যানুৰাগী লোক মুঠ বান্ধি সাহিত্য সেৱাত মনোনিবেশ কৰাতো আমাৰ দৃষ্টি গোচৰ হৈছে। অসমৰ লিডু, মৰ্ঘেৰিটাৰ পৰা আৰম্ভ কৰি ধুবুৰী, বিলাসীপাৰা, অভয়াপুৰী, ওদালগুৰি, বঙ্গাইগাঁও আদিত ই পোখা মেলিছে। ঠায়ে ঠায়ে সাহিত্য গোষ্ঠী গঠিত হৈ ভাষাজননীৰ সেৱাত ব্ৰতী হৈছে। বিভিন্ন ঠাইত বিভিন্ন আলোচনী, কাব্যালোচনী আদি নিয়মিত ৰূপে প্ৰকাশ কৰাতো পৰিলক্ষিত হৈছে। এইবোৰ প্ৰকাশৰ জৰিয়তে ন-ন লেখক লেখিকাই হিয়া উজৰাই কবিতা, গল্প, প্ৰবন্ধ আদি লিখাৰ কথাও আমাৰ চকুত পৰিছে। এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ পৰা ওলোৱা সাহিত্য সভা পত্ৰিকাৰ অবয়ব দিনে দিনে সৰু আৰু প্ৰবন্ধ পাতিৰ ক্ষেত্ৰতো তাৰ দৈন্যতা সকলো সাহিত্য প্ৰেমী লোকৰে চকুত পৰিছে। এই ক্ষেত্ৰত আমি মন কৰিছো— নতুন চাম লেখক লেখিকাক মৰমেৰে আঁকোৱালি লব পৰাত যেন আমি ব্যৰ্থ হৈছো। এনে অনুমান হয়। ইয়াৰ ফলস্বৰূপে নাট্য সম্মিলন, কবি সম্মিলন, ন লেখক-লেখিকাৰ সম্মিলন— মহিলা লেখিকা গোষ্ঠী আদি ন-ন গোষ্ঠীয়ে ভূমুকি মাৰিছে আৰু কেইবছৰ মানৰ ভিতৰতে এক বলিষ্ঠ খোজ পেলাবলৈ সমর্থ হৈছে। এওঁলোকৰ যত্নত ওলোৱা আলোচনী, স্মৃতিগ্ৰন্থ আদি পঢ়িলে আৰু এওঁলোকক লগ পাই কথা হলে— তেওঁলোকৰ উদ্দেশ্য আৰু একাগ্ৰতাৰ কথা শুনি শ্ৰদ্ধাত মূৰ দোঁ খাই আহে।

দুখেৰে হলেও কব লাগিব আমি বহুতো প্ৰথিতযশা লেখক লেখিকাক আগ্ৰহেৰে হাত বাউল দি মাতিবলৈ পাহৰিছো—

সেইদৰে আজিৰ নতুন চাম লেখক লেখিকাকো স্নেহেৰে আদৰি ল'ব পৰা নাই। সেয়ে আমাৰ বহুতো লেখক লেখিকা এই সভাৰ পৰা দূৰতে বিদূৰ হৈ আছে। ই শুভ লক্ষণ নহয়। আমি সাহিত্য সভা জাতি, ধৰ্ম নিৰ্বিশেষে— সকলো জনগোষ্ঠীৰ এক উমৈহতীয়া অনুষ্ঠানৰূপে গঢ়ি উঠাতো কামনা কৰো। এনেদৰে সন্তৰ্পনে আগবাঢ়িব নোৱাৰাৰ বাবেই সময়ে সময়ে সমান্তৰাল সাহিত্য সভা প্ৰতিষ্ঠাৰো চেষ্টা চলাতো আমাৰ নিজৰেই দৃষ্টিগোচৰ হৈছে। এই কথাত মই এষাৰ কথা নিজৰ অভিজ্ঞতাৰ পৰা কব বিছাৰো— সাহিত্যত ৰাজনীতিৰ থল নাই। কিন্তু ৰাজনীতিত সাহিত্যৰ থল আছে। ৰাজনৈতিক সাহিত্যত শোষণ শাসনৰ কথা উঠে। কিন্তু সাহিত্যৰ ক্ষেত্ৰ বহল। ই সকলোৰে উৰ্দ্ধত। সকলো মানৱৰ সেৱাই সাহিত্যৰ মূল লক্ষ্য।

সেয়ে আজিৰ এই পৰিবেশত সাহিত্য সভাই এই বিষয়ে গভীৰ ভাবে ধ্যান ধাৰণা কৰাতো উচিত হব।

সাহিত্যসভাৰ সাংগঠনিক দিশৰ দুৰ্বলতাৰ কথা বহুজনে বাতৰি কাকত আৰু আলোচনীত লেখিছে। সেইসকলৰ পৰামৰ্শ আৰু নৱনিৰ্বাচিত কাৰ্য্যনিৰ্বাহকত মুকলি ভাবে আলোচনা কৰি যাতে আগবাঢ়িব পৰা যায় তাৰবাবে সকলোৰে শুভেচ্ছা আৰু আশীৰ্বাদ বিচাৰিছো।

এতিয়া আমি সাহিত্যৰ কথালৈ আহো। আগতেই কৈছো আমাৰ সাহিত্য সম্পৰ্কে জ্ঞান অতি সীমিত। কিন্তু আজি বিজ্ঞানৰ প্ৰভাৱত গোটেই পৃথিবীখনেই এক চুবুৰীত পৰিণত হৈছে। আজি আমি ইয়াত এটি হাঁহি মাৰিলে— পৃথিবীৰ শেষ কেন্দ্ৰলৈকে একেলগে শুনা হ'ল। বিজ্ঞানৰ প্ৰভাৱত আজি আমি গোৱেশ্বৰত বহি কি আলোচনা কৰিছো— সেইটো গৈ পৃথিবীৰ চুকে কোণে প্ৰসাৰিত হব পাৰে। সেয়ে সাহিত্য আজি আৰু সীমাবদ্ধ হৈ থকাৰ থল নাই। আজিৰ সাহিত্যই বিশ্বজনীন ৰূপ লৈছে। বিভিন্ন ভাষাৰ লেখক লেখিকাৰ মানবীয় সাহিত্য আজি চকুৰ প্ৰচাৰতে চুকে কোণে ধাৱিত হৈছে। মানবীয় সাহিত্য — সমগ্ৰ মানবেই আগ্ৰহেৰে আদৰি লৈছে। ভাষাৰ পাৰ ভাঙি ই চৌদিশে বাগৰিছে।

মানুহে দেখি শিকে, ঠেকি শিকে। আমি কিন্তু তাৰ ব্যতিক্ৰম। আমি নিজ চকুৰে দেখিলো সূৰ্য্য ডুব নোযোৱা বৃটিছ সাম্ৰাজ্যৰ স্খলন হৈ এক বিন্দুত পৰিণত হ'ল। কিন্তু ইংৰাজ সাহিত্য— সংস্কৃতিয়ে বিশ্ব জয় কৰি আজি মহা বিক্ৰমেৰে দশোদিশে আগবাঢ়ি আছে।

আমাৰ ৰাজ্য ৰাজনৈতিক হেঁচাত ভাগ ভাগ হ'ল। কিন্তু সেইবোৰ ৰাজ্যত আগতে প্ৰচলিত অসমীয়া ভাষা প্ৰসাৰৰ ব্যৱস্থা আমি লব পৰা নাই। অৰুণাচলিজ বা নেফানিজ আৰু নাগামিজ আদি ভাষাৰ প্ৰতিও আমাৰ শ্ৰদ্ধা আৰু আনুগত্য অটুট থাকক। ইয়াৰ প্ৰসাৰৰ কাৰণেও তেওঁলোকৰ লগতে আমিও সঁহাৰি জনাই একেলগে থিয় দিওঁ আহক।

সেয়ে আমাৰ সাহিত্যৰ কথা আলচ কৰাৰ আগতে বিশ্বসাহিত্যৰ দিশতো এভূমুকি মৰাৰো প্ৰয়োজন বোধ কৰিছো। আমাৰ জ্ঞানৰ পৰিসৰ ঠেক। অধ্যয়নো কম। তথাপি নিজৰ ভাষাৰ সীমা চেৰাই বিশ্বসাহিত্যতো ছেগ বুজি ভূমুকিয়াই চাইছো।

তাৰ পৰাও নিজে কিছু পৰিমাণে শিকনি লব খুজিছো। তাকেই আপোনালোকৰ আগত কব বিচাৰিছো। সেই বুৰঞ্জীৰ পাত লুটিয়াই দেখো— কোনো কোনো কবি সাহিত্যিকে সদায় নিজা ভাষাক নতুন শক্তি দিবলৈ যত্ন কৰিছে। শে'পীয়েৰৰ নাটকত ইংৰাজী ভাষাটোৱে এক নতুন সাৱলীলতা পাইছে। আৰ্নেষ্ট হেমিংৱেৰ উপন্যাসৰ ভাষাত জলছবিৰ দৰে অভিজ্ঞতাৰ দিঠক ফুটি উঠিছে। তেওঁৰ ভাষাত আমি নিজে আমাৰ ভাষাৰ প্ৰথিতযশা লিখক সত্যনাথ বৰাৰ প্ৰাঞ্জল আৰু সংযত ভাষাৰ চানেকী পাওঁ। এইদৰে বিশ্ব কবি-সাহিত্যিকে চকু কাণ আৰু জিভাৰ সোৱাদৰ ভাষাৰে সজীৱ কৰি তুলিছে। কেৱল সেয়ে নহয় বুকুৰ মাজত সঞ্চিত থকা গভীৰ অনুভূতিকো ফৰিংফুটা কৰিব পৰা দক্ষতা অৰ্জ্জন কৰি লৈছে। সাধাৰণ পাঠককো তেওঁলোকৰ সঁচা বিচাৰৰ জটিল অভিযানৰ লগৰীয়া কৰি লব পাৰিছে। শব্দচয়নেই নিশ্চয় সাহিত্য নহয় কিন্তু শব্দৰ সংযত বাছনিও নিশ্চয় সাহিত্যিকৰ পবিত্ৰ দায়িত্ব। তেনে দায়িত্ব পালন কৰা সাহিত্যিকো দেখিছো।

আৰু আওৰালে দেখা যায়, বিষয় বস্তুৰ লগতো ৰজিতা খুৰাই আন কিছুমান কৃতি লেখকে নতুন আঙ্গিকো বিছাৰি লৈছে। ইংৰাজী সাহিত্যৰ এলিয়ট, অডেন আৰু জেম্চ জয়েচৰ দৰে কবি সাহিত্যিকৰ আঙ্গিক লৈ সমালোচক সকলে লেখি ওপচাই পেলাইছে। আঙ্গিকো নিশ্চয় সাহিত্যৰ গুৰুত্বপূৰ্ণ অংশ, কিন্তু সাহিত্য ৰচনাৰ মৰ্ম জানো আঙ্গিকতকৈ বেছি ওপৰত নহয়? এই শতিকাৰ অন্যতম কবি ফ্ৰেডেৰিকো গৰ্চিয়া লৰ্কাৰ কবিতাই বহুখিনি স্পেইনৰ জনপ্ৰিয় আৰু পুৰণি কবিতাতেই শিপা মেলিছিল। অথচ সামগ্ৰিক দৃষ্টি আৰু দৰ্শনেৰেই তেওঁ পুৰণি কবিতাতকৈ যে বহুখিনি উধাৰ পাৰিছিল সেয়া নিশ্চয়

তেওঁৰ পাঠক মাত্ৰেই জানে। নবেল বঁটা বিজয়ী নাট্যকাৰ ৰালে চায়িঙ্কাই তেওঁৰ সৰহভাগ নাটকেই নাইজেৰিয়াৰ লোক কথাত আউজিয়েই লেখিছে— কিন্তু দৃষ্টি আৰু সৃষ্টিৰ নতুনত্বৰ বাবে ই সেই আঙ্গিকৰ মাজতো তেওঁৰ সত্য সন্ধানৰ চেষ্টা বলিষ্ঠ হে হৈছিল। থলুৱা আৰু চিনাকি পৰিবেশৰ সৈতে জীণ যোৱা বিষয়ক প্ৰাঞ্জল থলুৱা সাঁচত গঢ়ি নিজা জীৱনদৰ্শনেৰে যুগমীয়া সাহিত্য ৰচনা কৰি থৈ গৈছে। বঙ্গৰ মাটিৰ গোন্ধ আৰু ৰসেৰে পৰিপুষ্ট কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ৰচনাই জীৱনৰ প্ৰতি নিজস্ব দৃষ্টিভঙ্গীৰে সাত সাগৰৰ সিপাৰৰ জনৰো বুকু চুই গৈছে। পাবলো নেৰুদাৰ স্মৰণীয় সাহিত্য কৰ্মতো দক্ষিণ আমেৰিকাৰ মাটি, পানী বতাহ আৰু মানুহজাকৰ বৈষিষ্ট্য চকুত লগাকৈ ফুঁটি উঠিছে।

নঙঠা বাস্তৱৰ চৰিত্ৰ ভালকৈ বুজি উঠাৰ চেষ্টাত শক্তিশালী লেখকৰ লেখনিত আঙ্গিকে নিজে নিজেই গঢ় লৈ উঠিছে। প্ৰথিতযশা উপন্যাসিক গাৰ্চিয়া মাৰ্কুইজৰ ৰচনাতো নিজৰ সমাজৰ অতীতৰ ৰূপ কথা আৰু বাস্তৱ একেলগে জীণ গৈ বাস্তৱৰেই নতুন দিশ মোকোলাই দিছে। কবি সাহিত্যিকে যেতিয়াই নিজৰ সৃষ্টিৰ চৌপাশৰ মানুহজাকৰ তেনেই ওচৰ চাপি যাবলৈ সক্ষম হৈছে তেতিয়াই সেই সৃষ্টি যুগমীয়া হৈছে। ১৯৯১ চনৰ সাহিত্যৰ বঁটা বিজয়ী দক্ষিণ আফ্ৰিকাৰ নাডাইন গাৰ্ডিমাৰে তেওঁৰ উপন্যাসত নিজৰে দেশৰ বৰ্ণ বৈষম্য ব্যৱস্থাই অনা মানসিক সংঘাতৰ সংঘাতক আপোন কৰি লৈছে। বৰ্ণ বৈষম্যৰ প্ৰতিবাদ কৰা প্ৰয়াত তৰুণ কবি বেঞ্জামিন মলয়জৰ কবিতাই নেলছন মেণ্ডেলাৰ নিৰ্জ্জনতাক হেলাৰঙে সহিবলৈকো সাহস দিছিল। এইদৰে প্ৰবীনৰ সৈতে নবীন এচামেও দৃঢ় খোজ দিছে সাহিত্যৰ জগতত। এইসকল সাহিত্যিকৰ কাৰণে সাহিত্য মাথোন ৰঙচঙীয়া বেটুপাতৰ পুথি নহয়। কেৱল ভাষা বা আঙ্গিকৰ ফুলজাৰিও নহয়। 'মিলিজ বুক'ৰ দৰে সৰ্বাধিক বিক্ৰীৰ দাবী কৰা অসাৰ লেখনিও নহয়।

এইসকলৰ বাবে সাহিত্য হৈছে- বিষয় বস্তুৰ গভীৰতা আৰু শব্দৰ শুদ্ধতাৰে আঙ্গিকে নিজে বাট কাটি লোৱাৰ কাহিনী। কাষৰ মানুহজাকৰ সৈতে ৰং-ৰহইচ কৰি একেলগে ধুমুহাৰ মুখামুখি হোৱা কাহিনী।

সেয়ে এইদৰে অভিজ্ঞতা লাভ আৰু আমাৰ নিজা ভাষাটো এনে পদক্ষেপৰ ক্ষীণ হ'লেও কছু পৰিমাণে উমান পাই আমি ক'বলৈ বিচাৰো— সঁচা কথা সহসেৰে সোৱাদ লগাকৈ লেখিব বা ক'ব পৰাটোৱেই আজিৰ যুগৰ শ্ৰেষ্ঠ সাহিত্য।

সেয়ে আমি বিশ্ব সাহিত্যৰ ওচৰ চাপিবলৈ আৰু আমাৰ সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ হ'লে আমি এক শক্তিশালী অনুবাদ গোষ্ঠী প্ৰতিষ্ঠা কৰিব লাগিব। আমাৰ বিশ্ববিদ্যালয় কেইখন আৰু সাহিত্য সভাই এই বিষয়ে নিজৰ কৰ্মব্যৱস্থা কিদৰে হাতত লয় সেইটো আমাৰ বিচাৰ্য নহয়। কিন্তু তেওঁলোকে এই কাম নিজৰ প্ৰতিষ্ঠাৰ কাৰণেই লোৱা উচিত। কিন্তু সাহিত্য সভায়ো এই বিষয়ে চকু মুদি থকাটো উচিত নহব। বছৰি অন্ততঃ দুখনকৈ শ্ৰেষ্ঠ বিশ্ব সাহিত্যৰ পুথি অনুবাদ কৰি আমাৰ জনসাধাৰণৰ মাজত মেলাৰ দিহা কৰাটো আমি উচিত হব বুলি ধাৰণা কৰো। আনহাতে নিজা সাহিত্যৰ দুখন পুথিও বিশ্ব সাহিত্যৰ দৰবাৰলৈ অন্ততঃ ইংৰাজীলৈ অনুবাদ কৰি আগবঢ়োৱাতো উচিত কাম হব বুলি আমাৰ বিশ্বাস। এই বিষয়ে শুভ আৰম্ভণি কৰিবলৈ সময় ক্ষণ মিলিছে বুলি আমাৰ বিশ্বাস। এইক্ষেত্ৰত তাহানিতে ড° বাণীকান্ত কাকতিদেৰে এক দৃঢ় সংকল্প লৈ আগবঢ়া আমাৰ চকুত পৰিছিল। তেওঁ ৰঘুনাথ চৌধাৰী আৰু বিশেষকৈ অম্বিকাগিৰি ৰায়চৌধুৰীদেৰৰ কবিতাক Song of the Cell নামেৰে প্ৰকাশ কৰি এক মহত্বপূৰ্ণ অনুবাদ দাঙি ধৰিছিল বিশ্ব সাহিত্যৰ ভৰালৈ। কিন্তু তাৰ পিছত এই কথাৰ প্ৰতি আকৰ্ষিত হোৱা লোকৰ সংখ্যা বিৰল। কোনো কোনোৱে এই প্ৰচেষ্টা কৰিছিল বা কৰিছে যদিও উল্লেখযোগ্য অৰিহণা যোগাব পৰা বুলি ভাবিবৰ থল নাই। আজি যদিও ইংৰাজী মাধ্যমৰ টো চাৰিওফালে বিয়পিছে— এনে এটি কামৰ প্ৰতি ধাউতি বঢ়াৰ লক্ষণে দেখা দিয়া নাই। এনে কামত আগবাঢ়ি আহিলেহে আমাৰ সাহিত্যিক সকলৰ লিখা বিশ্বৰ ৰসসবাহলৈ গতি কৰিব পাৰিব বলি আমাৰ বিশ্বাস। আৰু এটা কথা এইখিনিতে কৈ থ'ব বিচাৰো। আজি উন্নত দেশসমূহৰ সাহিত্য প্ৰবাহৰ বিষয়েও আমাৰ চকু ৰখাটো দৰকাৰ। আজি জীৱনী সাহিত্যই ঘাইকৈ আত্মজীৱনীৰ সাহিত্যই দেশে দেশে বিশেষ ভাৱে আলোড়ণ তুলি আহিছে। এই ক্ষেত্ৰত এটি নতুন-বাতৰি আমাৰ চকুত পৰিছে। ইংৰাজী ভাষা সাহিত্যৰ দুটি ৰৰ সম্মানিত পুৰস্কাৰ হ'ল— 'বুকাৰ' আৰু 'হুইটফিল্ড' পুৰস্কাৰ। এইবোৰৰ হুইটফিল্ড পুৰস্কাৰ লাভ কৰিছে জীৱনীকাৰ বিছাৰ্ডচন চাহাবে। তেওঁ পাৱলু পিকাছ'ৰ জীৱনী লেখি এই পুৰস্কাৰ লাভ কৰিছে। এই পুৰস্কাৰৰ বাবে গল্প, উপন্যাস, কবিতাৰ বাছকৰনীয়া পুথি থকা স্বত্বেও— এই জীৱনী পুথিৰ বাবেহে এই পুৰস্কাৰ ঘোষণা কৰা হৈছে। কাৰণ বোধগম্য। সত্যৰ ওপৰত ভিত্তি কৰি লিখা সাহিত্যৰ আদৰৰ

কাৰণেই এই বাছনি কৰা হ'ল বুলি পতিয়ন যাবৰ থল আছে। জীৱনীকাৰ বিছাৰ্ডচনে বহুবছৰ ধৰি পিকাছ'ৰ পত্নী জেকুলিনৰ সৈতে বহি পিকাছ'ৰ ডায়েৰী সমূহ অধ্যয়ন কৰি সঁচাৰ আধাৰত এই জীৱনী-প্ৰণয়ন কৰিছে। তদুপৰি লিখকে নিজে বহুকাল ধৰি থাকি তেওঁৰ পত্নী জেকুলিনৰ পৰা সেই ডায়েৰী সমূহ পুঙ্খানুপুঙ্খৰূপে অধ্যয়ন কৰাৰ সুযোগ সুবিধা পাইছিল। এতেকে আজিৰ সাহিত্যত সত্য, তথ্য ভিত্তিক সাহিত্যই সমাজৰ মন চুইছে।

আমাৰ সাহিত্যতো আজি এনে এটা দিশৰ সূচনা হোৱাতো পৰিলক্ষিত হৈছে। ই শুভ লক্ষণ। কিন্তু এনে সাহিত্য সৃষ্টিৰ বাবে যি কঠোৰ শ্ৰম আৰু অধ্যয়নৰ আৱশ্যক সেই কথা আমি গভীৰ ভাবে চিন্তা কৰাৰ দৰকাৰ। মানুহৰ মাজলৈ গৈ মানুহৰ মন বুজি লিখা সাহিত্যৰ চোক বেলেগ। ইয়াৰ সোৱাদ সুকীয়া, আমাৰ নতুন চাম লেখক-লেখিকাক এই দিশত চিন্তা-চৰ্চা কৰিবলৈ আমি সাদৰ আহ্বান জনালো।

আমাৰ সাহিত্য পুৰণি। অসমীয়া ভাষা পুৰণি সম্পদেৰে সমৃদ্ধ আৰু ই ভাষা আৰু সাহিত্য দুয়োপিনৰ পৰাই আতি চহকী। কিন্তু তাকে লৈ গৌৰৱ কৰিবৰ থল আছে যদিও আমাৰ যে আজি যুগৰ সাহিত্য সৃষ্টিত বহুখিনি ঘাটি পৰিছে সেইটো সকলোৱে উপলব্ধি কৰিছো। আমি বিজ্ঞান, কলা দুয়ো ক্ষেত্ৰতে বহুখিনি পিছপৰি আছো। আজি আমাৰ সাহিত্যসভাৰ মজিয়াতো— বিজ্ঞান, নাট্য কলা, সঙ্গীত, নৃত্য, চিত্ৰশিল্প, স্থাপত্য, ভাস্কৰ্য আদিক দৃঢ় ভাবে আকোৱালি লব পৰা নাই। সাহিত্য সভাই এনেবোৰ বিষয়ৰ প্ৰতি গভীৰ চিন্তা আৰু এই দিশত অৱিহণা যোগোৱা লোকক সামৰি লৈ দৃঢ়ভাবে আগবঢ়া উচিত হব। তাহানি সাহিত্য সভাৰ বৈঠকত বিজ্ঞান শাখাৰ সন্মিলনো অন্তৰ্ভুক্ত হৈছিল। কিন্তু আজি সেইবোৰ তল পৰিল। নাট্য সাহিত্য শ্ৰেষ্ঠ কাব া বুলি মনীষীসকলে সদায়েই কৈছে। সাহিত্যৰ এই শাখা — ইমান উজ্জ্বল আৰু লোকপ্ৰিয় সেই কথা সকোলোৱেই স্বীকাৰ কৰে। ইয়াৰ গুৰুত্ব বুজিয়েই অতীতৰ মনীষীসকলে সাহিত্যৰ নাট্য শাখাৰ কাৰণে এক "বেদ" (নাট্যবেদ) ৰচনা কৰি গৈছে। এনে উদাহৰণ আন সাহিত্য শাখাৰ কাৰণে বিৰল। কিন্তু নাট্যকাৰসকলক লৈ সন্মিলন পতাৰ ক্ষেত্ৰত সাহিত্য সভা একেবাৰে ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। সেয়ে নাট্যমোদী সকলে এক সমান্তৰাল নাট্য সাম্মিলন পাতিবলৈ আগবাঢ়ি আহিছে। সেইদৰে কবি সন্মিলন আদিৰো উৎপত্তি হৈছে। ই শুভ লক্ষণ যদিও সাহিত্য সভাৰ ক্ষেত্ৰত ভালৈ আছোৱ পৰিছে আৰু বহুতবে এই সভালৈ অসন্তুষ্টি সৃষ্টি হোৱাও পৰিলক্ষিত হৈছে। সেয়ে এই সকলোকে সাঙুৰি এক মহান সাহিত্য সংস্কৃতিৰ ৰূপত সাহিত্য সভাক আমি চাব বিচাৰো। আমি মাৰ বান্ধি আগুৱালেহে আমাৰ লক্ষ্যস্থানত উপনীত হব পাৰিম।

আমাৰ ঘাটি বহুতো। এই ঘাটি পূৰণ কৰিব নোৱাৰিলে আমি সকলো ক্ষেত্ৰতে ব্যৰ্থহোৱাৰ সম্ভাৱনা। আমাৰ ঘাই ঘাটি অৰ্থ, আমাৰ সাহিত্যসভাৰ এটি টনকিয়াল পুঁজি নহ'লে—ইয়াৰ প্ৰসাৰৰ সম্ভাৱনা ক্ষীন নহবনে? এই বিষয়ে চিন্তা কৰিয়েই "ন্যাস পুঁজি" গঠিত হৈছে বুলি শুনিছিলো। কিন্তু যি লক্ষ্য লৈ এই পুঁজি গঠিত হৈছিল সেইটো পূৰণ হ'ল জানো? এই ঘাটি পূৰণ কৰিব নোৱাৰাটো আমাৰ সকলোৰে ব্যৰ্থতা নহয় জানো? সাহিত্য সভালৈ ৰাইজৰ আগ্ৰহক আমি উচিত মূল্য দিব নোৱাৰৰ কাৰণেই— এই ঘাটি পৰিছে বুলি ভাবিবৰ থল আছে।

আমাৰ গৱেষণা, আমাৰ পুথি-পাঁজি সংৰক্ষণৰ ব্যৱস্থা আনকি যি আছিল তাকো মৰহি যাবলৈ দিয়া আমাৰ অকৰ্মন্যতাই আমাৰ সকলোকে জগৰীয়া কৰি তুলিছে। ইয়াৰ সম্যক ব্যৱস্থা নহ'লে আমি কালিলৈ বৰ অনুতাপ অনলত দগ্ধ হৈ নিকাৰ ভুঞ্জিব লাগিব।

এইবোৰ ব্যৱস্থা কেনেদৰে হ'ব?

আমাৰ ঘাইকৈ এই সাহিত্য সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত এচাম কৰ্মীৰ আৱশ্যক হৈছে। আমাৰ দুয়োটা মূল কাৰ্যালয়ৰ ব্যৱস্থা অতি দুখলগা। ইয়াৰ কাৰণে সৰ্বক্ষণ সৰ্ব সময় সাহিত্য ব্ৰতী লোকৰ আৱশ্যক হৈছে।এতিয়া সাহিত্য সভাৰ কৰ্ম এবাধবাকৈ কৰা লোকেৰে সম্ভৱ নহয়। এচাম সৰ্বকালব্ৰতী লোকৰ আৱশ্যক হৈছে। আইৰো- খবৰ বাইৰো খবৰ- পেহীৰো খবৰ লোৱা লোকেৰে এনে কাম আৰু সম্ভৱ নহয়। একাণপতীয়াকৈ এই কামত ব্ৰতী হব লাগিব। দুয়ো মূল কাৰ্যালয়ৰ পৰিচালনা কৰিবলৈ এনে লোকৰ (Whole timer) আৱশ্যক হ'ব। সাহিত্য সেৱা নিচা নহয়— ই ব্ৰত। এই ব্ৰত পালন কৰিবলৈ— এচাম লোকৰ আৱশ্যক হৈছে। আমি তেনে ধৰণে কাৰ্যকৰ্তা সকলৰ বাছনিত মনোযোগ দিব লাগে।

আমাৰ অন্যতম মূল ঘাটি হ'ল— আমাৰ নতুন চাম লেখক-লেখিকাৰ প্ৰতি দেখুৱাবলগীয়া আন্তৰিকতাৰ অভাব।

নতুন চাম লেখক-লেখিকাৰ প্ৰতি সঁহাৰি জনাই তেওঁলোকক এই ব্ৰতত ব্ৰতী হবলৈ অনুপ্ৰেৰণা যোগোৱা দৰকাৰ। আজি বহুতো নতুন লেখক-লেখিকাই তেওঁলোকৰ সাহিত্যৰ প্ৰতি থকা আন্তৰিকতাৰ চানেকি দাঙি ধৰিছে।

এওঁলোকক সভাত উপযুক্ত আসন দিয়াটো আমি কামনা কৰো। ন-পুৰণিৰ যুটীয়া প্ৰচেষ্টাত আমাৰ ভাষা-জাননীৰ সেৱাত কোনো ত্ৰুটি নোহোৱাকৈ নৈবদ্য আগবঢ়োৱা হওঁক। তাৰ বাবে লাগে আমাৰ এক শক্তিশালী সংগঠন।

আজি কেইবছৰমানৰ ভিতৰতে আমাৰ লেখিকাসমাৰোহে এক বলিষ্ঠ পদক্ষেপ আগবঢ়াইছে। এওঁলোকৰ মাজত সৰ্বক্ষণ সাহিত্য ক্ষেত্ৰত নিয়োগ কৰিব পৰা, সাহিত্যক অন্তৰেৰে ভাল পোৱা মহিলা বহুতো আমাৰ চকুত পৰিছে। তেওঁলোকে সাহিত্য সভাৰ কাৰ্যত আৰু সংগঠনত ভাগ দিয়াতো কামনা কৰো। আমি আশা কৰো এনে কামৰ কাৰণে আমাৰ মাজত উদাৰতাৰ অভাৱ নহব। শুৱাহাটীত এটি অসম সাহিত্য সভা প্ৰকল্প আজিকোপতি নিৰ্মাণৰ প্ৰচেষ্টা নোলোৱাতো অতি পৰিতাপৰ বিষয়। এনে এটি প্ৰকল্পৰ নিৰ্মাণৰ আৱশ্যকতা আমি অনুভব কৰো। যি ভৱনত এটি আধুনিক লাইব্ৰেৰী থাকিব— য'ত বিশ্বৰ সাহিত্যৰাজি থুপ খুৱাই ৰখাৰ উপৰিও আমাৰ ভাষাৰ পুথিকো— ভালে ভালে ৰখাৰ ব্যৱস্থা হ'ব। য'ত বহি গৱেষকসকলে ভাষা-সাহিত্যৰ গবেষণা কৰিবলৈ সুচল হ'ব। লগতে এটি প্ৰেক্ষাগৃহ, আলহী ঘৰ— আদিৰে জ্যোতি প্ৰসাদে আঁকি থৈ যোৱা স্থাপত্যৰ আৰ্হিৰে নিৰ্মিত হ'ব।

এনেবোৰ কামৰ আঁচনি আমি আজিয়েই এই মুহূৰ্ততে নললে পিছত হয়তো বহুত পলম হৈ যাব।

বুৰঞ্জী সাহিত্যৰ বিষয়েও এযাৰ কথা উনুকিয়াই থব বিচাৰো। আমাৰ ভাষাৰ বুৰঞ্জী সাহিত্য অতি চহকী। ইয়াক সকলোৱেই স্বীকাৰ কৰিব। কিন্তু ইংৰাজীৰ শাসনৰ সময়ত বুৰঞ্জীক বিকৃত কৰাৰ প্ৰচেষ্টা এটা নিশ্চয় চলিছিল। সি সৰ্বভাৰতীয় ক্ষেত্ৰতো বিৰাজমান। কিন্তু আমাৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী আজিও প্ৰকৃত তথ্য পাতিৰে প্ৰকাশ হোৱা নাই। অসম চৰকাৰে "ৰাজনৈতিক বুৰঞ্জী" বুলি কেইবাটিও সঙ্কলন ইতিমধ্যে প্ৰকাশ কৰি উলিয়াছে। কিন্তু সেই বুৰঞ্জীও উপযুক্ত তথ্য-পাতিৰে লিখা হোৱা নাই। আমাৰ সাহিত্য সভাৰ এই দিশতো এক গুৰু দায়িত্ব আছে। এই বুৰঞ্জী নতুনকৈ প্ৰণয়নতো আমি চিন্তা-চৰ্চা কৰা উচিত।

চৰকাৰে সাহিত্য সেৱা কৰা সঁচা। কিন্তু চৰকাৰী সাহিত্য সেৱাত এটি কথা সদায় লুকাই থাকে। শাসন আৰু শোষণৰ কথা। সেয়ে ৰজাঘৰীয়া সাহিত্যৰ দৌৰ সিমানেই। সেয়ে সাহিত্য সভাই এনেবোৰ কাৰ্যত চোকা প্ৰহৰী ৰূপে কাম কৰাতো আমি উচিত বুলি বিবেচনা কৰো।

সেয়ে বুৰঞ্জী, বিজ্ঞান আৰু সাহিত্যৰ গবেষণা, সমালোচনা শাখা আৰু কৃষ্টিশাখা গঠনত সভাই উচিত ধ্যান দিয়াটো অতি আৱশ্যকীয় বুলি আমি বিবেচনা কৰো।

আমাৰ শিশু সাহিত্য তেনেই চালুকীয়া অৱস্থাতে আছে। এই বিষয়েও সাহিত্য সভাই বিশেষ ধ্যান দিয়াটো আমি উচিত বুলি বিবেচনা কৰো। কণ কণ ল'ৰা-ছোৱালীৰ মন ঠন ধৰাই উঠাব নোৱাৰিলে আমাৰ সাহিত্যৰ ভৱিষ্যত কেতিয়াও উজ্জ্বল নহ'ব।

সাহিত্যক জনমুখি কৰিবলৈ আমাৰ প্ৰতিজন ন-লেখক-লেখিকাৰ প্ৰতি আমাৰ আন্তৰিক আহ্বান থাকিল। এই ক্ষেত্ৰত আমাৰ নিজৰ বিশেষ ক'বলগীয়া নাই। অতীজৰে পৰা আমাৰ মনীষীসকলে এইবিষয়ে আমাক সঁকিয়াই গৈছে। সেয়ে নিজৰ ভাষাৰে নহয় আমাৰ সকলোৰে পূজ্য, সকলোৰে স্নেহৰ, সকলোৰে শ্ৰদ্ধাৰ ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ বাণীকে আগবঢ়াইছো।

ৰামচন্দ্ৰৰ বনবাসৰ কালত তেওঁৰ ভ্ৰাতৃ ভৰতে তেওঁৰ খৰম জোৰকে অযোধ্যাৰ সিংহাসনত থাপি ৰাইজৰ সেৱা আগবঢ়াইছিল। আমিও সেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ এজন নিঃকিন ভক্ত আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক সুঁৱৰি এই বাণী আগবঢ়াইছো। ৰূপকোঁৱৰে শিল্পীৰ পৃথিবী স্থাপনৰ সপোন দেখিছিল। সেই সপোন দিঠকত পৰিণত কৰাৰ ভাৰ আপোনালোকৰ ওপৰত। তাকেই পুনৰ সঁকিয়াব বিচাৰিছো——

ৰূপকোঁৱৰে কৈছে —

আমাৰ সংস্কৃতিৰ বিশ্বৰূপ, মানুহৰ শিল্পীৰূপ, এই ঐতিহ্যৰেই আলোকময় মৰ্ম লৈ আৰু শিল্পৰ পূৰ্ণস্বৰূপ আমি উপলব্ধি কৰি আজি অসমৰ শিল্পীয়ে, ভাৰতৰ শিল্পীয়ে আলোক যাত্ৰা কৰিব লাগিব প্ৰগতিৰ বাটেদি— দুস্কৃতিক পদে পদে, জীৱনৰ

ক্ষেত্রে ক্ষেত্রে প্রতিহত কৰি কঠোৰ সাধনাৰে উগ্র তপস্যাৰে পোহৰৰ পৃথিৱীলৈ এক অপূর্ব্ব জন জীৱনলৈ যুগ যুগ ধৰি ধর্ষিতা, নিপীড়িত, দলিত, বঞ্চিত জনতাক লৈ। যি জনতাই সদায়েই দুস্কৃতিৰ আক্রমণত কেচুঁৰাতে ধ্বংস হব খোজা সংস্কৃতিক নিজৰ বুকুত সুমুৱাই তুলি-তালি ডাঙৰ দীঘল কৰে, যি জনতায়েই সদায়েই সংস্কৃতিৰ পৰাজয় হ'লেই দুস্কৃতিৰ অত্যাচাৰ মুৰ পাতি লবলগীয়া হয়, যি জনতাৰ অন্তৰত সংস্কৃতিলৈ মৰম নুনুমুৱা বেলিৰ দৰে সদায়েই জ্বলি থাকে— যি জনতা সংস্কৃতিৰ বাঁহীত চিৰকালেই মুগ্ধ, যি জনতাৰ চকুপানীয়েই সংস্কৃতিৰ নির্মল গাত দুস্কৃতিয়ে সানি দিয়া মলিবোৰ ধুৱাই পখলাই নিকা কৰি ৰাখে, যি জনতাই দেখা মাত্রকে সমস্কৃতিক চিনি পায়— মাকে নিজৰ পুতেকক চিনি পোৱাৰ দৰেই, যি জনতাই নিজৰ বুকুৰ তেজ যুগে যুগে দিও সংস্কৃতিক জীয়াই ৰাখি দুস্কৃতিৰ পৰা সিয়েই সিহঁতৰ যাউতীযুগীয়া দুখ-কষ্ট গুচাই জীৱনৰ হাঁহি ফুলাৰ বুলি বাট চাই আছে— আজি শিল্পী প্রথমেই সকলো ভয়, দুর্বলতা ভ্রান্তি গচকি-খচকি, সুকুমাৰ কলাৰ অস্ত্র লৈ সেই দুর্ভগীয়াৰ মাজতেই ঠিয় হ'বগৈ লাগিব— মোহমুক্ত অর্জ্জুন যেনেকৈ ঠিয় হৈছিল সংগ্রামৰ কাৰণে।

আজি আমাৰ সাৰথি হৈছে সংস্কৃতি আৰু আমাৰ শত্রু হৈছে দুস্কৃতি। জনতাৰ অন্তৰৰ ভিতৰত শিল্পীটো যে নিশ্চয়কৈয়ে আছে— তাৰেই আমি জনতাক জান দিব লাগিব। আমি জনগণৰ মনৰ সেই শিল্পীটোৰেই মূর্ত্ত প্রতীক হৈ জনগণক ক'ব লাগিব—

জনতা তোৰ প্রাণৰো প্রাণত
মনৰো মনত
শিল্পী যে মই
লুকাই লুকাই আছোঁ

ৰূপকোঁৱৰে এই বাটৰ সন্ধান পাইছিল শ্রীশ্রী শংকৰদেৱৰ পৰা। তাকেই দেখুৱাই গৈছিল লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোঁহাই বৰুৱা আদিয়ে। আজিৰ যুগত তাক উদাত্ত কণ্ঠে প্রচাৰ কৰিছিল ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আৰু কলাগুৰু বিষ্ণু ৰাভা দেৱে।

এওঁলোকৰ শিল্পীৰ সংজ্ঞা বেলেগ । সংস্কৃতিৰ প্রতি আকর্ষিত সকলোকেই এওঁলোকে শিল্পী আখ্যা দি গৈছে। যেনে ভাষা শিল্পী, সংগীত শিল্পী, নাট্য শিল্পী, ভাস্কর্য শিল্পী, স্থাপত্য শিল্পী ইত্যাদি। বাগ্মীবৰ নীলমণি ফুকন দেৱে তাহানিতে কৈছিল— "জ্যোতিৰ জ্যোতিত ৰাভাৰ আভাত" আমাৰ পথ নিস্কণ্টক হওক।

আজি আমাৰ শেহতীয়া এই দুজন জনতাৰ সেৱক- জনতাৰ নায়ক ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আৰু কলাগুৰু বিষ্ণুপ্রসাদ ৰাভাৰ আদর্শৰে আমি সকলোৱে আগবাঢ়ি যাওঁ আহক— বিশ্বৰ সংস্কৃতিৰ বৰসবাহলৈ।

আমাৰ সাহিত্য সংস্কৃতিৰ যাত্রাত এক পৰিবেশো লাগে। পৰিবেশ যিমনেই সুন্দৰ হয়— সংস্কৃতিৰ অৱদানো সিমানেই আটকধুনীয়া হয়। আজি আমাৰ ক্ষীণ হলেও সেই পৰিবেশৰ ৰেঙণি পৰিছে। পৰিবেশেৰে মোৰ ঘুৰিছে।

আমাৰ সকলো ক্ষেত্রতে এক আধাৰ লাগে। আধাৰ নহ'লে সেই সম্পদ ক'ত ধাৰণ কৰিম? আমাৰ সাহিত্যৰ ক্ষেত্রত দেখিছো— বাট বৰ কাঁইটীয়া। বহুতো লেখক-লেখিকাৰ লিখা সম্পদৰাজি অপ্রকাশিত হৈ আছে। এই ক্ষেত্রত অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ উদ্যোগত স্থাপিত আৰু সংস্কৃতিৰ প্রচাৰৰ কাৰণে কেইবাটিও অনুষ্ঠান পাতিছে। যেনে আমাৰ অসম প্রকাশন পৰিষদ, সাহিত্য একাডেমি, সংগীত নাটক একাডেমি আদি। কিন্তু এইবোৰ অনুষ্ঠানৰ কাম-কাজ আদৰণীয় হৈছে বুলি ক'ব নোৱাৰি। আমাৰ দেশত কৃষক আৰু লেখক সদয়ে শোষিত। কৃষকে পেটৰ খোৰাক যোগায় আৰু লিখকে মনৰ খোৰাক যোগায়। দুয়ো শ্রেণী মাতৃ স্বৰূপা। মাতৃক অবহেলা কৰা কোনো লোকৰে ভৱিষ্যত শুভ নহয়।

এইক্ষেত্রত চৰকাৰে ব্যক্তিগত প্রকাশক সকলক উচিত মূল্যত কাগজ আদি যোগান ধৰি প্রকাশক সকলক সহায় কৰাটো যুগুত হ'ব।

আমি নিজে সম্পূর্ণ বিপ্লৱৰ পক্ষপাতী। এফালে বেৰা বান্ধি আনফালে বাট মুকলি কৰাৰ আমি পক্ষপাতী নহয়।

সমূহ দিশতে এক সম্পূর্ণ বিপ্লৱ লাগে। ধ্বংসৰ কাৰণে এই বিপ্লৱ নহয়— ই সৃষ্টিৰ কাৰণে কৰা বিপ্লৱ।

এই বিপ্লব হব লাগিব সাহিত্য-সংস্কৃতিৰ ক্ষেত্রত। সাহিত্যৰ সংজ্ঞা বহুজনে বহুধৰণে দি গৈছে। সাহিত্য সভাৰ এগৰাকী সভাপতি আমাৰ নিজৰ শিক্ষাগুৰু ড° সূর্য্য কুমাৰ ভূঞা দেৱে কৈছিল— সাহেই সাহিত্য। আমি তাকে ধুই পখালি ক'ব বিচাৰো— সঁচা কথা সাহসেৰে সোৱাদ লগাকৈ ক'ব পৰাটোৱেই সাহিত্য। নৃত্য, গীত, অভিনয়ৰ ক্ষেত্রতো এযাৰ কথা কৈ থব বিচাৰো। এওঁলোকে কি সংস্কৃতি যোগান ধৰিব? কি সংস্কৃতি সাধনা কৰিব?

যি নিজৰ মাটিত খেতি কৰে তেওঁ খেতিয়ক কিন্তু যি লোকৰ মাটিত খেতি কৰে— তেওঁ আধিয়াৰ। সেইদৰে যি সকলে নিজৰ মাটিৰ গোন্ধ থকা সাহিত্য-সংস্কৃতি সাধনা কৰে তেওঁলোক খেতিয়ক শিল্পী— যি আনৰ সংস্কৃতিৰ সাধনা কৰে তেওঁলোক আধিয়াৰ শিল্পী। আমি উঠি অহা চাম শিল্পী সাধকক খেতিয়ক শিল্পী হৈ নিজৰ বহনীয়া সংস্কৃতিক বিশ্ব দৰবাৰত উত্থাপন কৰিবলৈ আহ্বান জনাওঁ।

কেৱল নিজৰ আনন্দৰ বাবে সৃষ্টি কৰা সাহিত্যৰ মূল্য সম্পর্কত বিতর্কৰ পাতনি মই আকৌ মেলিব খোজা নাই। এৰা, আমাৰ সাহিত্যই আলহী কোঠাৰ পৰা পথাৰৰ বাটো চিনি লওক। আহক, আমাৰ সাহিত্যক আমাৰ গাঁও ভূঁইত, সিঁচৰতি হৈ থকা দলিত, ধর্ষিত, অৱহেলিত সাধাৰণ মানুহৰ বুকুৰ আপোন কৰি তোলো, গাঁও -ভূঁইৰ, পথাৰ-সমাৰৰ বোকা-পানী শইচ মানুহেৰে আমাৰ সাহিত্যত এক নতুন দিশ উদ্ভাৱন কৰি সাহিত্যক সজীৱ কৰি তোলো। আমাৰ সাহিত্যই এওঁলোকৰ সঁচা কাহিনী— সঁচা অনুভূতিক অন্তৰেৰে আঁকোৱালি লৈ জনগণৰ মাজত আশাৰ সঞ্চাৰ কৰক। সঁচা বাট বিচৰাৰ উমান দিয়ক। এজনৰ সলনি ৰাইজৰ সাহিত্য হওঁক। সাহিত্যক এনেদৰে জনমুখি কৰি তোলক।

আমাৰ জাতিৰ আশা ভাষা। আমাৰ লক্ষ্য হওঁক বিশ্বৰ মুকলি আকাশ-মুকলি পথাৰ। ভাষা জননীৰ সেৱাত আমি শুদ্ধ মনেৰে আগবাঢ়ো আহক।

-- * --

৫৯তম শিৱসাগৱ অধিৱেশন

শিৱসাগৱ ঃ ৬ফেব্রুৱাৰী,১৯৯৩ খ্ৰীষ্টাব্দ

ড° ভূপেন হাজৰিকা

অসম সাহিত্য সভাৰ এই শিৱসাগৱ অধিৱেশনৰ বাবে মোৰ দৱে দিহিঙে-দিপাঙে ঘূৰি ফুৰা যাযাবৰ এজনক নিৰ্বাচিত কৰিছে। আপোনাসৱক - এই মহাজনসমুদ্ৰক, উত্তৰৱপৰা, দক্ষিণৱ পৰা, পূৱৱপৰা, পশ্চিমৱপৰা- মোৰ আনন্দাশ্ৰুপূৰ্ণ কৃতজ্ঞতাৰ সেৱা আগ বঢ়াইছোঁ - সেৱা আগ বঢ়াইছোঁ শতকৌটিবাৰ।

আজি ক'ৱ খুজিছোঁ ঃ পাণ্ডিত্যৱ নিদৰ্শন থকা ভাষণ দিয়াৰ অভ্যাস আমাৰ নাই। হৃদয়ৱপৰা গীত ৰচি, অন্তৰৱ সুৱেৰে তিয়াই, কণ্ঠক বাহনৰূপে লৈ মানৱতাবাদী শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰাৰ প্ৰচেষ্টাতে আজীৱন কটোৱা সাংস্কৃতিক বনুৱা বা ৰণুৱাহে মই।।

প্ৰথমেই, অসমৰ এই ভয়াৱহ দিনলৈ চাই ইয়াত, আপোনাসৱৰ সম্মুখত দৃঢ় কণ্ঠে ঘোষণা কৰিবলৈ আহিছোঁ যে অসম সাহিত্য সভা কেৱল অসমীয়া সাহিত্য সভা নহৈ ই অসমৰ সাহিত্য সভা হ'ব লাগে। ভৌগোলিকভাৱে যি মাটিভাগ অসমৰ অঞ্চলৰূপে আছেগৈ -সেই সীমাৰ ভিতৱতে থকা আৰু লুইতৰূপী অসমীয়া সাহিত্যক, জীৱন্ত উপনৈ হৈ, তজৱজীয়া নিজৰা হৈ অহোৰাত্ৰি পৰিপুষ্ট কৰা বিভিন্ন ঐতিহ্য পূৰ্ণ জনজাতীয় ভাষা-গোষ্ঠীসমূহ আৰু অন্যান্য ভাষা-গোষ্ঠীৰ সাহিত্য-কৰ্মীসকলৰ বাবেও এই অসম সাহিত্য সভাৰ মঞ্চ -সমান গুৰুত্ব লৈ একেলগে বহা, আলচ কৰা, পৰস্পৰক স-সম্মানে বুজিবলৈ চেষ্টা কৰা সুবিশাল মঞ্চ হওক এই মহান সাহিত্য সভা। উদাৰ দৃষ্টিভঙ্গী হওক এই মননশীল সাহিত্য সভাৰ। যৌথ হওক ইয়াৰ পৰিকল্পনা। অস্ত্ৰ হওক মানৱতাবাদ। লক্ষ্য হওক- শান্তি আৰু সামূহিক কল্যাণ। আজি এই ৰত্নাত্ম চনৰ ছয় ফেব্রুৱাৰীৰ দিনা, অসমৰ সাহিত্য-সংস্কৃতিক যদি মহাবাহু ব্ৰহ্মপুত্ৰৰ সৈতে ৰিজাওঁ, তেন্তে প্ৰশ্ন কৰিবৰ হ'ল- ভাষাৰ নৈ, উপনৈ, নিজৰাবোৰ লুইতলৈ বৈ আহি বইনে?

আহক এই পৱিত্ৰ দিনত বুকুত হাত থৈ চকুকেইটি মুদি কিছু আত্মবিশ্লেষণ কৰোঁ - আমাৰ বন্ধুসকলক - আমাৰ বসুমতাৰী - সকলক, ৰংপিসকলক, পেণ্ডসকলক আমি কিবা কাৰণত হেৰুৱাইছোঁ নেকি? অধিক ভীতি, অধিক উগ্ৰতা, অধিক ক্ৰোধ, অধিক সঙ্কীৰ্ণতাজনিত মনোভ্ৰৱ বা অধিক একাকিত্ব থকা বহু ক্ষুদ্ৰ কৃষ্টিৰ নাম বা স্থিতি ইতিহাসে নিঃচিহ্নি কৰি দিয়াও দেখিছোঁ। আমি ক'ৱাত কেতিয়াবা ভুল কৰিছোঁ নেকি? দেখিব- আমি কেতিয়াবা উন্নাসিক হৈছোঁ - কেতিয়াবা হীনমন্যতাত ভুগিছোঁ - কেতিয়াবা অনুকম্পা বিচাৰিছোঁ বা আনলৈ বুলি অনুকম্পা বা পুতৌ নিক্ষেপ কৰিছোঁ - কেতিয়াবা অবৈজ্ঞানিক নেতিবাচক আৱেগৰ দাস হৈছোঁ - কেতিয়াবা ক্ষমতালোভী শাসকৰ ৰাজনীতিৰ ক্ৰীড়নক হৈ বৈজ্ঞানিক প্ৰক্ৰিয়াৱে গঢ় লৈ উঠা সম্বন্ধত প্ৰচণ্ড আঘাত কৰিছোঁ, নেতিবাচক উগ্ৰজাতীয়তাবাদক কোনোবাই সাবটিছোঁ, কোনোবাই সাহিত্যৱ বিশ্বজনীনতাক ঠেক ৰাজনীতিৰ মুখা পিন্ধাই সীমিত কৰিব খুজিছোঁ - এই আটাইবোৰ কামেই আমি কৰিছোঁ - মাথোঁ এটা কাম কৰা নাই, সেইটো হ'ল যুগজয়ী সাহিত্য সৃষ্টিৰ নিমিত্তে আজীৱন সাধনা কৰিবলৈ পাহৰি গৈছোঁ - কিম্বা এনে সাহিত্য সৃষ্টিৰ বাবে পৰিবেশ সৃষ্টি কৰিবলৈ দুঃখজনকভাৱে অপাৱগ হৈছোঁ।।

লুইতে সদায় অহঙ্কাৰ কৰিয়ে থাকিবনে? লুইত বাম হৈ যাব, যদি আমি দেখোঁ - নৈ, নিজৰা, উপনৈবিলাকৰ গতিৰ পথত জাৱৰ জমিছে। সেইবোৰ নৈ, নিজৰাত স্বকীয় বিকাশৰ সোঁত আনিব খোজা প্ৰচেষ্টাত হাতে-কামে সহায় কৰাটো লুইতৰ

কর্তব্য। নৈ, উপনৈ, নিজৰাৰ বিকাশৰ সোঁত মন্থৰ হৈ গ'লে, গতিহীন হৈ গ'লে লুইতো হৈ পৰিব অগভীৰ, নিজৰাৰ মন যাব ভাগি- এনাজৰী হ'ব আউল-জাউল।

মই দুখেৰে আৰু মন কৰিছোঁ যে যোৱা দশকত অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত কিছু হতাশাগ্ৰস্ত অসমীয়া লোকক হীনমান্যতাই আক্ৰমণ কৰিছে। তেনে লোকক কওঁ - অসমীয়া ভাষাৰ ভেটি সুদৃঢ়, সুপ্ৰতিষ্ঠিত।। বন্ধুৰন্ধু চন। তেজপুৰ। অ'াৰৰ মাহত অনুষ্ঠিত ছাত্ৰ সম্মিলনৰ সভাপতি আছিল বিজ্ঞানাচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায়। 'প্ৰিয় ছাত্ৰবৰ্গ আৰু সমজুৱাসকল' বুলি আৰম্ভ কৰা তেখেতৰ ভাষণটি আছিল বহুমূলীয়া আৰু হৃদয়স্পৰ্শী। তেখেতে কৈছিল ঃ মণ্টেগু চেমছ্‌ফ'ৰ্ড ৰেগুলেশ্বন-মতে আপোনালোকৰ (অসমবাসীৰ) প্ৰাপ্যখিনি ল'ৰলৈ সাজু হওক। আপোনাসকলে অচিৰে নিজৰ দেশৰ যি দায়িত্বপূৰ্ণ শাসনভাৰ নিজে গাত পাতি ল'ব, তাৰ নিমিত্তে এতিয়াৰপৰা সাজু হ'ৰলৈ অহোপুৰুষাৰ্থ কৰক।..... উপযুক্ত ভাৰতবাসী, উপযুক্ত অসমীয়া হৈ গৌৰৰ বোধ কৰক। ..... তেখেতে পাণ্ডিত্যপূৰ্ণ যুক্তিৰে কৈছিলঃ মই অসমীয়া হোৱা হ'লে নিশ্চয় মই মোৰ মাতৃভাষাৰ উন্নতি সাধিবলৈ চেষ্টা কৰিলোঁহেঁতেন।

তাৰ পাছত আচার্য ৰায়ে কৈছিলঃ..... অসমীয়া সাহিত্যই ষোল শতিকাতে যি উন্নত অৱস্থা পাইছিল, বঙলা সাহিত্যই তেনে অৱস্থা ঈশ্বৰচন্দ্ৰ আৰু বঙ্কিমচন্দ্ৰৰ দিনতহে পাইছিল। বাস্তৰিকতে যদি কোনো অসমীয়া পণ্ডিতে কয় যে বাঙালীসকলহে অসমীয়া ভাষাৰদ্বাৰা প্ৰভাৱান্বিত হৈছে বা অসমীয়াৰ ও চৰত ঋণী, তেন্তে সেই কথাৰ বিৰুদ্ধে প্ৰমাণ দিয়া টান হ'ব। মই ভাবোঁ যে চিৰদিনলৈ সেই প্ৰশ্নৰ মীমাংসা হৈছে বুলি ধৰিব পৰা যায়। মই এই কথাষাৰ কেৱল এজন প্ৰমুখ্য বঙালী স্বৰূপে নহয়, ৰৱং বঙ্গীয় সাহিত্য সম্মিলনৰ ভূতপূৰ্ব সভাপতি স্বৰূপেহে কৈছোঁ।।

তাহানিৰ গেইট্ চাহাবৰ মতে ঃ অসমীয়া এটা সুকীয়া ভাষা বুলি পৰিগণিত হ'ৰৰ যোগ্য । - অসমীয়া ভাষাই স্বাধীনভাৱে বঙলা ভাষাতকৈয়ো আগেয়েই বৰ্তমানৰ উন্নত অৱস্থাত ভৰি দিছেহি বুলি লোকে বিশ্বাস কৰে। ই এটা সুকীয়া জাতিৰ ভাষা আৰু সদায় অসমত বঙলা ভাষা চলাবলৈ কৰা চেষ্টাৰ বিৰুদ্ধে যুঁজ কৰি নিজৰ অস্তিত্ব ৰাখি আছে।

আপোনাসৱৰ বৰ গৌৰৱৰ বিষয় যে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে বঙ্গদেশৰ শ্ৰীচৈতন্যৰ পূৰ্বেই অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰে আৰু বঙ্গৰ কৃত্তিবাস, কাশীৰাম দাসৰ পূৰ্বেই গদ্য-পদ্যত পুথি লিখে। ভট্টদেৱে ষোড়শ শতিকাত ৰচনা কৰা 'কথাগীতা'ৰ গদ্যৰীতি বাস্তৱতে অতুলনীয়। স্বভাৱতেই আপোনালোকৰ হিয়া গৌৰৱত ভৰি উঠে যে যি সময়ত অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শংকৰদেৱ আৰু তেৱাৰ উপযুক্ত শিষ্য মাধৱদেৱ - দুয়োগৰাকীয়েই চৈতন্যৰ জন্মৰ পূৰ্বেই পদ্যৰ পুথি লিখে আৰু এই আষাৰ কথা লিখাৰ পাছত পণ্ডিত হেমচন্দ্ৰ গোস্বামী মহোদয়ৰ পাণ্ডিত্য আৰু স্বদেশসেৱাৰ ফলত, এই কথাগীতাৰ অপূৰ্ব সংস্কৰণ পঢ়িবলৈ মই সুবিধা পাইছোঁ। এইখন অমূল্য ৰত্নস্বৰূপ। অসমীয়া ভাষাৰ স্বাতন্ত্র্য আৰু বিশিষ্টতা লৈ বহুদিন বিৱোধ চলি আহিছে - এইবোৰ মূৰ্খামিৰহে চিন ..... । এয়া গেইট্ চাহাবৰ অভিমত।

আকৌ উভতি চাওঁ। যি স্বৰ্গদেউ চুকাফাই অসমত বাস কৰা লোকসকলক প্ৰথমবাৰৰ বাবে অসমীয়া জাতি বুলি পৰিচয় প্ৰদান কৰিছিলে, যি চুকাফাই নিজৰ ধৰ্ম এৰি প্ৰজাৰ ধৰ্ম আকোঁৱালি লৈ সকলো শ্ৰেণীৰ লোকৰ মাজত শান্তি-সম্প্ৰীতিৰ বান্ধোন কটকটীয়াকৈ ৰখাত সফল হৈছিল:- সেই চুকাফাৰ দিনৰেপৰা আজি ৰন্ধুৱন্ধু চনলৈকে অসমীয়া ভাষা-সাহিত্যই নানা সংগ্ৰামৰ মাজেদি খোজ কাঢ়িছে। উনবিংশ শতিকাত কেইবাদশকৰ বাবে অসমৰপৰা অসমীয়া ভাষাটোকতো নিৰ্বাসনেই দিয়া হৈছিল। তাৰ পাছত ধীৰ-স্থিৰ চিন্তাৰে যিসকল মহান সাহিত্যিকে পুনৰ অসমত অসমীয়া ভাষাক প্ৰতিষ্ঠিত কৰিলে, সেইসকলৰ সাহস আৰু সৃজনী প্ৰতিভাক আমি আজি অতি শ্ৰদ্ধাৰে প্ৰণাম জনাইছোঁ।

তাহানিয়েই কাব্য সৃষ্টিৰ বাবে কাপ হাতত ল'লে আদিকবি মাধৱ কন্দলী, হেম সৱস্বতীয়ে। সেই বাটে বাটে খোজ পেলালে ৰুদ্ৰ কন্দলী, হৰিহৰ বিপ্ৰ, কবিৰত্ন সৱস্বতী প্ৰমুখ্যে কবিসকলে।

আহিল ৰোমাণ্টিক যুগ- উনৈশ শতিকাত ইউৰোপে গা ধুলে ৰোমাণ্টিক তৰঙ্গত। অসমীয়া সাহিত্যিকসকলেও সেই তৰঙ্গতে সাতুঁৰিলে - আহিল জোনাকী যুগ। ঐতিহ্যৰ বিৰুদ্ধে বিদ্রোহ ঘোষণা কৰিলে এক নৱ চেতনাৰে, অসমীয়া কবিয়ে। তেওঁলোকৰ কণ্ঠত প্ৰতিধ্বনিত হ'ল- মানুহেই দেৱ মানুহেই সেৱ মানুহ বিনে নাই কেও নীতি।

এই কালত লক্ষ্মীনাথ, হেমচন্দ্ৰ আৰু চন্দ্ৰকুমাৰ 'ত্ৰিমূৰ্তি' হৈ অসমৰ সাহিত্যাকাশ জ্যোতিষ্মান কৰি তুলিলে। পৱৰ্তী

কালত এই দৃষ্টিভঙ্গীৰে আওৰালে পদ্মনাথ গোহাঞি বৰুৱা, যতীন্দ্রনাথ দুৱৰা, ৰঘুনাথ চোধাৰী, দুৰ্গেশ্বৰ শৰ্মা, বিনন্দ্র চন্দ্র বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, নীলমণি ফুকন, অম্বিকাগিৰী ৰায়চৌধুৰী, নলিনীবালা দেৱী প্রমুখ্যে গুণীজনে।

আহিল আৱাহন যুগ। ন ন সৃষ্টিৰ যুগ। পিছে এক দোমোজাৰ যুগ। হেম বৰুৱাই ৰোমাণ্টিক ধাৰাৰ অন্ত পেলালে। ইলিয়ট্, এজ্ৰা পাউণ্ডৰ ধাৰাত নিমগ্ন কৰালে অসমীয়া কবিৰ মন। আহিল চল্লিশৰ দশক। এই দশক যুদ্ধেৰে জুৰুলা আৰু নিষ্ঠুৰ। স্বাধীনতা সংগ্রামো শিখৰলৈ উঠিল। ৰোমাণ্টিক কবিতাৰ পতন ঘটাই আহিল নৱ জীৱনৰ পিনে আওৰাই যোৱা কবিতা। নতুন কবিতা বা সাম্প্রতিক কবিতাৰ বাট বিচাৰি গ'লে পঞ্চাশৰ দশকৰ মাজ ভাগলৈ যাব লাগিব। এই শ্রেণীৰ কবিতাৰ উন্মেষ হয় 'জয়ন্তী' কাকতৰ যোগেদি। সম্পাদক আছিলঃ কমলানাৰায়ণ দেৱ, চক্রেশ্বৰ ভট্টাচার্য। 'জয়ন্তী'ত ভবানন্দ দত্ত, অমূল্য বৰুৱা আদি কেইজমান প্রগতিবাদী যুৱকে ৰোমাণ্টিক কাব্যৰ বাস্তৱবিমুখ কল্পনাসর্বস্বতাৰ বিৰুদ্ধে ক্রান্তিকাৰী চেতনা আৰু সমাজবাদী ধাৰণাৰ বাহক স্বৰূপে কবিতাক প্রতিষ্ঠা কৰিবলৈ চেষ্টা কৰে। নতুন কবিতাৰ সন্ধান দিলে যদিও তেওঁলোকৰ কবিতাই কাব্যিক সংবেদনশীলতা লাভ কৰিব নোৱাৰিলে- নন্দনতাত্ত্বিক দৃষ্টিভঙ্গীৰ অভাৱত। তথাপি আধুনিক কবিতাৰ বাটকটীয়াৰূপে তেওঁলোকক স্বীকৃতি দিব লাগিব। অমূল্য বৰুৱাৰ 'কুকুৰ', 'বেশ্যা', 'কয়লা' আদি কবিতাত আধুনিক কবিতাৰ বীজ অঙ্কুৰিত হয়। তাৰ পাছত হেম বৰুৱাই কাব্যৰ এই নতুন শৈলীক ভালেখিনি আগ বঢ়াই নিয়ে - 'বালিচন্দা', 'মনময়ুৰী' আদিৰে। আধুনিক কবিতাৰ আন এজন পথিকৃত হ'ল - 'হে অৰণ্য হে মহানগৰ'ৰ নৱকান্ত বৰুৱা।।

অসমীয়া লিপিৰ ফালেও এবাৰ উভতি চাওঁ। প্রাচীন কামৰূপী লিপি (তামৰ ফলিৰ লিপি) অসমীয়া লিপিলৈ পৰিবর্তিত হৈছিল। ষষ্ঠৰপৰা দ্বাদশ শতিকালৈকে থকা লিপিক প্রাচীন কামৰূপী লিপি আৰু ত্রয়োদশৰপৰা উনবিংশ শতিকাৰ প্রাৰম্ভলৈকে পুৰণি অসমীয়া লিপি বুলি দুটা নাম দিব পৰা যায়। সাঁচিপতীয়া পুৰণি লিপি গড়গওঁৰা, বামুণীয়া আৰু কায়থেলী বা লহকৰী উপশ্রেণীত ভাগ কৰা যায়। আচলতে এই লিপিসমূহত দুই-এটা আখৰৰ সামান্য প্রভেদৰ বাহিৰে মৌলিক প্রভেদ নাই। প্রায় পঞ্চম শতিকাৰ সময়ৰ শিলালিপি, তামৰ ফলি আদিৰ লিপিক গুপ্ত লিপিৰ প্রাচ্য ৰূপ বা কামৰূপী প্রকাশ বুলি ক'ব পাৰি। বঙালী আৰু অসমীয়া, দুয়োটা লিপিৰেই গুপ্ত বা পৰৱর্তী কুটিল লিপিৰপৰা উদ্ভৱ হৈছে।

অসমীয়া ভাষাৰ সুদূৰ অতীতলৈ চালে দেখোঁ চর্যাপদসমূহ। খ্রীষ্টীয় দশম, একাদশ শতিকাৰপৰা চতুর্দশ শতিকাৰ ভিতৰত সহজীয়া বৌদ্ধ সিদ্ধাচার্যসকলৰ ৰচনাৱলী থ'ব পাৰি। লুইপাদ, মৎস্যেন্দ্রনাথ, মীননাথ (কোনো কোনোৱে মৎস্যেন্দ্রনাথ আৰু মীননাথ একেজন বুলিও কয়) কামৰূপৰ আছিল। এই চর্যাপদসমূহ অসমীয়া ভাষাৰ বিকাশৰ প্রাক্কালৰ ৰচনা। নেপাল, তিব্বতত এই ৰচনাসমূহ উদ্ধাৰ কৰা হৈছিল। বঙালী, হিন্দী আদি ভাষায়ো চর্যাপদক নিজৰ বুলি দাবী কৰে। উত্তৰ ভাৰতৰ আর্য ভাষা-গোষ্ঠীসমূহে চর্যাপদ, ডাকৰ বচন আদিক নিজৰ নিজৰ বুলি ক'ব খোজে। আনহাতে জনবিশ্বাসমতে ডাক কামৰূপৰ। ডাকৰ বচনৰ ৰচনা-কাল সন্দর্ভত মতানৈক্য আছে।

চতুর্থদশ শতিকাত অসমীয়া ৰামায়ণ কবিছে মাধৱ কন্দলীয়ে। এই সপ্তকাণ্ড ৰামায়ণখনৰ আদিকাণ্ড আৰু উত্তৰাকাণ্ড মহাপুৰুষ শংকৰদেৱৰ দিনত বিচাৰি নোপোৱাত মাধৱদেৱে আদিকাণ্ড আৰু শংকৰদেৱে উত্তৰাকাণ্ড লিখি সম্পূর্ণ কৰি যায়। উল্লেখযোগ্য যে দক্ষিণ ভাৰতৰ কম্ব ৰামায়ণ ভাৰতৰ সবাতোকৈ প্রাচীন প্রান্তীয় ভাষাৰ ৰামায়ণ। আনহাতে উত্তৰ ভাৰতৰ প্রান্তীয় ভাষাত ৰচিত ৰামায়ণৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণেই প্রাচীনতম। ইয়াৰ প্রায় ডেৰশ বছৰৰ পাছতহে অন্যান্য ভাষাত ৰামায়ণ ৰচিত হয়।।

১৮৯৮ চনত ৰচিত ৰজনীকান্ত ৰৱদলৈৰ অপূর্ব সৃষ্টি 'মিৰি-জীয়ৰী'ৰ পৰা দণ্ডিনাথ কলিতাৰ 'সাধনা', বীণা বৰুৱাৰ 'জীৱনৰ বাটত'ৰ দৰে মাটিৰ সুগন্ধ থকা উপন্যাসত আৰম্ভ কৰি আজিলৈকে প্রকাশিত অসমীয়া কথা-সাহিত্যৰ পৰম্পৰা মহান। যোৱা দুটা দশকত ফণীন্দ্রকুমাৰ দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ' সৌৰভকুমাৰ চলিহাৰ 'গোলাম', হোমেন ৰবগোহাঞিৰ 'মৎস্যগন্ধা', দেৱেন্দ্রনাথ আচার্যৰ 'কালপুৰুষ' আৰু 'জঙ্গম', চৈয়দ আব্দুল মালিকৰ 'ধন্য নৱ তনু ভাল', মামণি ৰয়চম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' আদি মাধ্যমেৰে কথা - সাহিত্যই মানদণ্ডৰ অতি উচ্চ পর্যায়ত আৰোহণ কৰিছে।

অসমীয়া চুটি গল্পৰ বুৰঞ্জীও সর্বভাৰতীয় পর্যায়লৈ উঠিছে - 'জোনাকী', আৱাহনৰ যুগৰপৰা আজিলৈকে। হলিৰাম ডেকা, ৰমাদাশ, চৈয়দ আব্দুল মালিক, মহিম বৰা আৰু সিসকলৰ পৰৱর্তী যুগত যোগেশ দাস, নিৰোদ চৌধুৰী, লক্ষ্মীনন্দন

ৰৱা, ভৱেন্দ্রনাথ শইকীয়া প্রমুখ্যে গল্প-লিখকসকলৰ নাম অসমীয়া চুটি গল্পৰ ইতিহাসত সদায় জিলিকি থাকিব। এটা কথা মন কৰিব লগীয়া যে লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটি গল্পৰ জনকেই নহয় - আজিও অসমীয়া চুটি গল্পৰ ক্ষেত্রত বেজবৰুৱাৰ গল্প আধুনিক হৈয়েই আছে। বহুতে ভাবে, জোনাকী যুগৰেপৰা 'বাঁহী' 'আৱাহন' , 'জয়ন্তী', 'ৰামধেনু', 'আমাৰ প্রতিনিধি' আদি কাকতৰ যোগেদি চুটি গল্প, কবিতা আৰু গদ্য-সাহিত্যই এক সন্তোষজনক বিকাশ লাভ কৰিছে আৰু নতুন যুগত এই ধাৰাই নতুনৰ বাটেদি বলিষ্ঠভাৱে আগ বাঢ়িছে।

ৰৱাক উপত্যকাৰ ভাষা-সাহিত্যৰ সান্নিধ্য বঙ্গভাষাৰ লগত অধিক নে অসমীয়াৰ লগত অধিক, এই কথা লৈ চুলি ছিগা, বিৰ্তকৰ উত্তৰ হোৱা আমাৰ চকুত পৰিছে। মই অলপতে ৰৱাক উপত্যকালৈ গৈছিলোঁ। বিশেষকৈ অলপতে হাইলাকান্দিত হৈ যোৱা অসম সাহিত্য সভাৰ ৫৪ তম অধিবেশনত উত্থাপিত কিছু তথ্যৰ সন্দর্ভত আলচ হৈছিল তাৰ কিছু সাহিত্যিকৰ সৈতে। ৰৱাক উপত্যকাৰ ভাষিক চৰিত্র বাংলাৰহে নিকট বুলি এচাম পণ্ডিতে ভাবে। আমাৰ ক্ষুদ্র বুদ্ধিৰে ভাবোঁ যে কোনটো ভাষা কাৰ 'অপভ্রংশ' বা ধুৰুলী-কুৰুলী হৈ থৰা অতীতত কোন বঙ্গীয় ৰজাৰ সময়ৰ তামৰ ফলিত পেট-কটা 'ৰ' ওলাল, কোন অসমীয়া ৰজাৰ সময়ৰ তামৰ ফলিত 'ব'ৰ তলত বিন্দু থকা 'ৰ' ওলাল - পেট-কটা 'ৰ' আৰু 'ব'ৰ তলত বিন্দু থকা 'ৰ' - এই দুয়োটা ভাৰতৰ বিশাল পূর্বাঞ্চলত সার্বজনীনভাৱে প্রচলিত থকাটোহে সঁচা ইত্যাদি প্রত্নতাত্ত্বিক বিৰ্তকত অধিক গুৰুত্ব দিয়াতকৈ ৰৱাক উপত্যকাৰ ভাষাক স্বকীয় শ্রীভূমিৰ থলুৱা প্রকাশ বুলি সন্মান কৰি বুজাবুজিৰে আগুৱাব লাগে বুলি ভবাটো আৰু ৰৱাক উপত্যকাত অসমীয়া ভাষাটোক বুকুত বান্ধি ৰখা সংখ্যালঘু জনসমষ্টিক ৰৱাকে স-সন্মানে অসমীয়া ভাষাৰ বিকাশ ঘটোৱাত আন্তৰিক সহায় কৰাটোহে বৈজ্ঞানিক কথা হ'ব। সিদিনা ৰৱাক উপত্যকাৰ এজনক কলিকতাত লগ পাই গম পালোঁ যে 'ব্রহ্মপুত্র' ছদ্মনামেৰে স্কুল-শিক্ষক এজনে 'ৰক্তস্নাতা অসম লাচিত ৰৰফুকন' গ্রন্থ এখনি বঙালী ভাষাত ৰচনা কৰি থৈছে। কিন্তু গ্রন্থখন প্রকাশ কৰিবলৈ লিখকৰ ধন নাই। অপূর্ব তেওঁৰ অসম বুৰঞ্জীৰ জ্ঞান - অসমীয়া জীৱনৰ লগত তেওঁৰ পৰিত্র গৱেষণামূলক পৰিচয় সেই লিখাত উজ্জ্বল হৈ উঠিছে। এনে বাংলা সৃষ্টিক অসম সাহিত্য সভাৰ দৰে প্রতিষ্ঠানে প্রকাশ কৰাত সহায় কৰি দিব লাগে। সৰুতে আমাৰ মনত আছে - ৰৱাকৰ ৰাজমোহন নাথদেৱে অসমীয়াত লিখা প্রত্নতাত্ত্বিক গ্রন্থসমূহৰ কথা - যৌৱনত মনত আছে ৰৱাকৰ হেমাঙ্গ বিশ্বাসে 'কুল খুড়াৰ চোতাল'ৰ দৰে শক্তিশালী অসমীয়া কবিতা লিখাৰ কথা- ৰৱাকৰ বৌ নাচৰ সৈতে অসমৰ বিহুকো সন্মান জনোৱাৰ কথা। সেই সুন্দৰ দিনবোৰ ক'লৈ গ'ল? আমি পাহৰি গ'লোঁ নেকি যে সংস্কৃতিৰ লগত দুস্কৃতিৰহে সংঘাত হ'য়, সংস্কৃতি আৰু সংস্কৃতিৰ সংঘাত নহয়, দুই সংস্কৃতিৰ মাজত সমন্বয়হে হয়!

অসম ৰাজ্যৰ ৰৱাক উপত্যকা আৰু ব্রহ্মপুত্র উপত্যকাৰ মাজত অতীজৰেপৰা থকা মিলন-সেতুত যদি আজিৰ ৰাজনীতিজনিত আৱেগিক ভাঙন ধৰিছে, তাক পুনর্নির্মাণ কৰি ল'ব লাগিব। সমান্তৰালভাৱে ব্রহ্মপুত্র আৰু ৰৱাক বৈ থাওক- আনন্দেৰে- অসম নামৰ ভৌগোলিক মানচিত্রত - কোনেও যাতে কোনোফালৰ পৰা সাংস্কৃতিক আৰু ভাষিক 'আগ্রাসন' বুলি মনত আঘাত নেপায়। এই বিষয়ত মোৰ দৃষ্টিভঙ্গী দাঙি ধৰিছোঁ এইদৰে -

মহাবহু ব্রহ্মপুত্র, মহামিলনৰ তীর্থ
কত যুগ ধৰি আহিছে প্রকাশি
সমন্বয়ৰ অর্থ।।
সুদূৰ কান্যকুব্জৰে পৰা বাৰভূঞা আহিছিলে,
সেই বংশতে শঙ্কৰদেউ ইয়াতে জনমিলে,
মৰুৰ দেশৰে আজান ফকীৰে
মধুৰ জিকিৰ ৰচিলে,
দিল্লীৰ দিলোৱাৰে আহি হস্তী-পুথি আঁকিলে
পঞ্চনদীৰ তেগ বাহাদুৰে ধৰমৰ সেতু গঢ়িলে
সমন্বয়ৰ দেখুৱালে কত প্রকাশ স্বতঃস্ফূর্ত।।
দূৰৈৰ লাচিতে শৰাইঘাটতে শতৰু আগচিলে

জাতি ধর্ম ভাষা সবাকে স্বদেশপ্রেমেৰে বান্ধিলে
কিৰাটপুত্ৰ বিষ্ণু ৰাভাই, মাটিৰ কৃষ্টি জীয়ালে
সমন্বয়ৰ দেখুৱালে কত, প্ৰকাশ স্বতঃস্ফূৰ্ত।।
পদ্মা নদীৰ ধুমুহাত পৰি কত শত জন আহিলে
লুইতৰ দুয়ো পাৰে কতনা অতিথি আদৰিলে
কিছু ল'ৰ লাগে, কিছু দিব লাগে, জীণ যাবলৈ হ'লে
মিলিব লাগে মিলাব লাগে, ৰবীন্দ্ৰনাথেও ক'লে,
অগ্ৰৱাল জ্যোতিয়ে ইয়াতে জ্যোতিৰ প্ৰপাত বোৱালে,
অজীণপাতকী সৱৰ চক্ৰ জ্যোতিৰে কৰি ব্যৰ্থ।।

এইবাৰ 'জ্ঞানপীঠ' পুৰস্কাৰেৰে সম্মানিত কবি সুভাষ মুখোপাধ্যায়ে অসম সাহিত্য সভাৰ কোনোবা এখন অধিবেশনৰ মুখ্য অতিথিৰূপে কৈছিলঃ সাহিত্য শব্দটোত 'সহিত' অথাৎ 'সৈতে' শব্দটোও সোমাই আছে - অথাৎ এজনৰ সৈতে আনজনৰ বন্ধুত্ব হোৱাটো সাহিত্যই বিচাৰে। তাতে 'হিত' শব্দটোও সোমাই আছে - অথাৎ এজনৰ সৈতে আনজনৰ বন্ধুত্ব হোৱাটো সাহিত্যই বিচাৰে। তাতে 'হিত ' শব্দটোও সোমাই আছে- মানুহৰ 'হিত' - মানুহৰ কল্যাণ। তাৰ পাছতে তেওঁ কবিসুলভ ৰগাৰেৰে কৈছিল- ভাষা লৈতো বহুতো কটাকটি মৰামৰি, হনাহনি আমি কৰিলোঁ। সেই সময়খিনি সমবায় ভিত্তিত ধানখেতি কৰা হ'লে সমাজ, দেশ অধিক উপকৃত হ'লহেতেন। এজন অসমীয়া লিখক হিচাপে ভাবোঁঃ মই অনন্দত কিবিলি পাৰি উঠিম - যদি বড়ো, মিচিং কাৰ্বি ভাষাত ৰচিত বা ৰৰাকৰ শ্ৰীভূমিৰ কথিত ভাষাৰে লিখা উপন্যাস এখনে 'জ্ঞানপীঠ', সাহিত্য একাডেমী বা ন'ৰেল সাহিত্য পুৰস্কাৰ পায়। আনন্দত আত্মহাৰা হ'ম এই ভাবি যে এই পুৰস্কৃত লিখকজন আমাৰ অসমৰ লিখক। এয়া আমাৰ নিচেই আপোন লিখক। সেইটো হ'ৰ লাগে দৃষ্টিভঙ্গী।।

তাহানি বেজবৰুৱাই কৈছিলঃ অভিধান-ব্যাকৰণ নাই বুলি অভিধান-ব্যাকৰণৰ অভাৱত ভাষাৰ উন্নতিৰ সোঁত ৰৈ নাথাকে। ইংৰাজী ভাষা অভিধান-ব্যাকৰণৰ অভাৱত ৰৈ থকা নাছিল। সেয়ে হ'লে ইংৰাজী ভাষা, ইংৰাজী সাহিত্য হ'ৰ পাৰিলেহেঁতেন নে? অভিধান, ব্যাকৰণ যেতিয়া হয় হ'ৰ। সম্প্ৰতি সি নোহোৱা বাবে অসমীয়া ভাষাৰ উন্নতিৰ পথত একো প্ৰতিবন্ধক নাই। প্ৰথমে ভাষা, তাৰ পাছতহে অভিধান..... বেজবৰুৱাৰ কথাষাৰ হয়তো সচাঁ। সেই সময়ত সাহিত্যক সমৃদ্ধ আৰু প্ৰতিষ্ঠিত কৰাটোৱেই আছিল আগতিয়া আৰু প্ৰধান কাম; কিন্তু এতিয়া সেই ছবি বা পটভূমি সলনি হৈছে। ভাষাৰ স্বকীয় বৈশিষ্ট্য অটুট ৰাখি বিশৃঙ্খলাৰপৰা হাত সাৰিবলৈ, বিজতৰীয়া নহ'বলৈ, ভাষাটোক বেহা লগাবলৈ, শিকাক ছাত্ৰ-ছাত্ৰী আৰু গৱেষকসকলৰ সুবিধাৰ বাবে একোখন সৰ্বাধুনিক, সৰ্বাঙ্গীণ অভিধান আৰু ব্যাকৰণ আমাৰ একান্ত প্ৰয়োজন। আমাৰ হাতত থকা 'হেমকোষ', চন্দ্ৰকান্ত অভিধান আৰু পাছত হোৱা অভিধান আৰু ব্যাকৰণে সেই অভাৱ পূৰণ কৰিব নোৱাৰে -- কাৰণ এইবিলাক সেই তাহানিৰ বিলাকৰ সামান্য সংশোধিত প্ৰকাশ বা পুনৰ্মুদ্ৰণহে । কিন্তু ১৯৯১খ্ৰীষ্টাব্দত প্ৰকাশিত সুমন্ত চলিহাৰৱাৰা সঙ্কলিত 'আধুনিক অসমীয়া শব্দকোষ'খন এই ক্ষেত্ৰত এটি ব্যতিক্ৰমী প্ৰচেষ্টাৰূপে পৰিগণিত হ'ৰব যোগ্য। অসমীয়া ভাষাৰ এই নৱতম অভিধানখনে বিভিন্ন বিষয়ৰ পাৰিভাষিক শব্দাৱলীৰ উপৰি অসমৰ চাৰিটি প্ৰধান জনজাতীয় ভাষাৰ কিছু সংখ্যক শব্দ সামৰি লৈ ভাষিক সমন্বয়ৰ প্ৰক্ৰিয়াটোৰ শুভাৰম্ভ কৰিছে। গ্ৰন্থখনৰ প্ৰকাশক 'বাণী মন্দিৰ'ৰ স্বত্বাধিকাৰী সূৰ্য হাজৰিকাৰ উদ্যম প্ৰশংসনীয়। শ্ৰীমন্ত শংকৰদেৱৰ ৰচনা- সমগ্ৰ প্ৰকাশৰ উপৰি 'চিত্ৰ-ভাগৱত'ৰ এটি আটকধুনীয়া সংস্কৰণ আন্তৰ্জাতিক মানবিশিষ্ট কৰি 'বাণী মন্দিৰে' প্ৰকাশৰ আঁচনি গ্ৰহণ কৰাৰ বিষয়ে আমাক জনাইছে।

লোক- প্ৰব্ৰজন, সংমিশ্ৰণ, ৰাজনৈতিক সামাজিক চিন্তাধাৰাৰ পৰিৱৰ্তন, নতুন মূল্যবোধ, বিজ্ঞান আৰু আধুনিক প্ৰযুক্তিবিদ্যাৰ সৈতে সম্পৰ্ক, অতি আধুনিক চিন্তাধাৰা আৰু সভ্যতাৰ প্ৰভাৱৰ ফলত সমাজ-জীৱনৰ দ্ৰুত পৰিৱৰ্তন, শিল্প - উদ্যোগৰ বিকাশ-জীৱন আৰু সমাজত তাৰ গভীৰ প্ৰভাৱ প্ৰভৃতিৰ সংস্পৰ্শৰ ফলত আমাৰ ভাষা-সাহিত্যত আমি ক'ৰ নোৱাৰাকৈয়ে বহুতো নতুন নতুন মাত্ৰা সংযোজিত হৈছে। ৰক্ষণশীল মনোভাৱ আৰু নীতিৰে সেইবিলাক এবাহি যাব নোৱাৰোঁ। টেলিভিশ্বন, চিনেমা, বাতৰি-কাকত আৰু গণ-সংযোগৰ অন্যান্য মাধ্যমসমূহৰ বিস্ফোৰণে সমগ্ৰ বিশ্বক আমাৰ ঘৰৰ ভিতৰলৈকে

আনিছে। ফলত নতুন নতুন শব্দ, নতুন নতুন কথা আমাৰ কেতিয়াবা আচহুৱা লাগিলেও ব্যৱহাৰ কৰিব লগা হৈছে। বহু নতুন শব্দ এতিয়া সৰ্বসাধাৰণেও সহজভাৱেই গ্ৰহণ কৰি লৈছে। এইবোৰৰ কিছু আমাৰ ভাষাত জীণ গৈছে, মিলি গৈছে। এইবোৰ শব্দ এতিয়া আপোন যেন লগা হৈছে। কিন্তু এনে কিছু শব্দ আছে - যিবোৰ কোনোমতেই খাপ খাব পৰা নাই - জীণ যোৱা নাই। গতিকে আমি কোনটো ল'ম? কোনটো ধৰিম, কোনটো এৰিম?

তাৰ উপৰি নতুন পুৰুষৰ সমুখত, ন অসমীয়াৰ সমুখত ভাষা-সমস্যাই দেখা দিছে। আখৰ-জোঁটনি, ব্যাকৰণ, শব্দৰ ব্যৱহাৰ, বাক্য-ৰীতি ইত্যাদিত আমাৰ বহুতো বিশৃঙ্খলা ঘটিছে। তাতে এতিয়া এইবিলাকৰ প্ৰতি অযত্ন অৱহেলাৰ ফলত এই বেমেজালি তীব্ৰতৰ হৈ উঠিছে। আচল কথা হ'ল, ভাষাটোৰ মূল ভেটি সুদৃঢ় কৰি আমাৰ ভাষাৰ সুকীয়া ঠাঁচ আৰু ৰীতিক সন্মান নকৰিলে, অদূৰ বা সুদূৰ ভৱিষ্যতে অধিক জনসংখ্যাবিশিষ্ট ভাষাৰ সৈতে সানমিহলি হৈ আমাৰ স্বকীয় প্ৰকাশ বিনষ্ট হ'ব। তেতিয়া অসমীয়া ভাষাটোৱেই বিপন্ন হৈ পৰিব।

আমাৰ নিজৰ থলুৱা শব্দ-ভাৰ প্ৰকাশ কৰিব পৰা বলিষ্ঠ বাহন থাকোঁতে সেইবোৰ পাহৰি, জীণ নোযোৱা বিদেশী বা বাহিৰৰ শব্দ ব্যৱহাৰ কৰিলে স্বকীয়তা হেৰাই যোৱাৰ আশঙ্কা। এইখিনিতে দুটামান কথা উল্লেখ নকৰি নোৱাৰিলোঁ। ভেটি বুজাবলৈ 'কাঠামো' ধুমুহা বুজাবলৈ 'ঝড়' শোভাযাত্ৰা বা সমদল বুজাবলৈ 'মিছিল' - আমাৰ ভাষাৰ সুৰৰ লগত মিলিব পৰা নাই। 'প্ৰদৰ্শনী' শব্দটো থাকোঁতে 'একজিবিশ্বন' শব্দটো আমাৰ ভাষাত সাঙুৰি দিবৰ আৱশ্যক বোধ নহয়। 'ৰাইজ', 'সৰ্বসাধাৰণ' আদি শব্দ থাকোঁতে 'জনগণ', 'বেবেৰিবাং' থাকোঁতে 'আবোল-তাবোল' ঃ এনেবোৰ শব্দ এতিয়াও অচিনাকি, আচহুৱা হৈ আছে। 'শঙ্কৰদেৱৰ বিষয়ে এলানি বক্তৃতা' নুবুলি 'শঙ্কৰদেৱৰ ওপৰত এলানি বক্তৃতা' বুলিলে ভাষাৰ স্বকীয় প্ৰকাশভঙ্গীৰ বিকৃতি ঘটে।

অধ্যাপকৰ পৰা ছাত্ৰলৈকে, সাহিত্যিকৰ পৰা সৰ্বসাধাৰণলৈকে সকলোৱে লিখাত আজিকালি বহুতো খেলিমেলি চকুত পৰে। ইয়ঁই কাৰৰ ব্যৱহাৰ, গত্ববিধি, ষত্ববিধি, প্ৰত্যয়, উপসৰ্গ, সমাসৰ নিয়ম-প্ৰণালী, 'ৰ' আৰু চন্দ্ৰবিন্দুৰ ব্যৱহাৰ হয় কৰা নহয় কিম্বা অপ্ৰয়োগ কৰা হয়। উদাহৰণ স্বৰূপে 'হওঁতে' বোলোঁতে চন্দ্ৰবিন্দুৰ আৱশ্যক, কিন্তু 'হওক' বোলোঁতে চন্দ্ৰবিন্দু নেলাগে। এতিয়া দেখা গৈছে - বাতৰি- কাকত, আলোচনী, গল্প, উপন্যাস আনকি ভাষাৰ বিষয়ে লিখা ৰচনাতো 'হওঁকৰ'ৰ অত্যাচাৰ চলিছে। অমুক পৃষ্ঠাত চাওঁক বুলি প্ৰায় প্ৰত্যেকখন বাতৰি-কাকতেই লিখা কাৰ্য অতি দৃষ্টিকটু হৈছে। সেইদৰে 'ৰ'ৰ ব্যৱহাৰো শুদ্ধভাৱে কৰা নহয়। 'চ' আৰু 'ছ'ৰ ব্যৱহাৰো শুদ্ধভাৱে কৰা নহয়। 'চ' আৰু 'ছ'ৰ ব্যৱহাৰ সম্বন্ধে সৰহভাগ অভিধান বা ব্যাকৰণতে একো নিদেৰ্শ পোৱা নেযায়।

চিৰাচৰিত প্ৰথাৰ ভাষাক ভিত্তি কৰি, ইয়াৰ পৰম্পৰা আৰু ৰীতি-নীতি ৰক্ষা কৰি বৈজ্ঞানিক ভিত্তিত যেতিয়ালৈকে কোনো সংস্কাৰ কৰা নহয়, তেতিয়ালৈকে আমি প্ৰচলিত প্ৰকাশ মানি চলাহে উচিত। নহ'লে বিভ্ৰান্তি ঘটাৰ আশঙ্কা। সাধাৰণতে হোৱা কিছুমান দৃষ্টিকটু অথচ ব্যাকৰণগত ভুল অলপ যত্ন কৰিলেই এৰাই চলিব পৰা যায়। সচৰাচৰ চকুত পৰা এনে ভুলৰ দৌৰাত্ম্য কিন্তু এতিয়া ববকৈ বাঢ়ি গৈছে।

- সমাপিকা ক্ৰিয়াত 'য়'ৰ ঠাইত 'ই'
- বৈচিত্ৰ্যতা, বৈষম্যতা, প্ৰাচুৰ্যতা, দাৰিদ্ৰ্যতা;
- অসমাপিকা ক্ৰিয়াত 'ই'ৰ ঠাইত 'য়' ;
- 'কৰোঁতে'ৰ ঠাইত 'কৰোতে' ; ভুল শব্দৰ ব্যৱহাৰ বা শব্দৰ অপ- প্ৰয়োগ ইত্যাদি ইত্যাদি।

আমাৰ ভাষাৰ শব্দবোৰৰ উৎপত্তি অনুযায়ী তৎসম, তদ্ভৱ, অৰ্ধ-তৎসম, দেশী আৰু বিদেশী শব্দৰ কথাহে কও। তৎসম, তদ্ভৱ আদি শব্দসমূহৰ উপৰি আমাৰ ভাষাত বহুতো থলুৱা জনগোষ্ঠীৰ শব্দ সোমাই আছে। সেইবিলাকৰ বহুল ব্যৱহাৰে ভাষাটো সবল কৰাৰ উপৰিও বিভিন্ন জনগোষ্ঠীয়ে ইয়াক নিজৰ বুলি ভাবিবলৈ, নিজৰ বুলি দাবী কৰিবলৈ বল পাব। বহুকলীয়া এনাজৰী সবলতৰ হ'ব। জনগোষ্ঠীসমূহে নিজকে এই ভাষাত বিচাৰি পাবলৈ সুযোগ পাব।

অসম সাহিত্য সভাই বিভিন্ন থলুৱা গোষ্ঠীৰ শব্দৰাজি বিজ্ঞসকলৰদ্বাৰা সংগ্ৰহন কৰাই অৰ্থসহ প্ৰকাশ কৰিছে। সেইবিলাকৰ প্ৰত্যেক খণ্ডই সুকীয়া হৈ আছে। কিন্তু মূল ভাষাৰ ভিতৰত সেইবিলাকৰ ল'ৰ পৰা আৰু অসমীয়া ভাষাত সোমাই পৰা বহু শব্দ

এতিয়াও অভিধান বা সাহিত্যত সামৰি ল'বলৈ প্ৰয়াস কৰা নাই। একমাত্ৰ 'আধুনিক অসমীয়া শব্দকোষ'ত এনে কিছু জনজাতীয় শব্দ সন্নিবিষ্ট হোৱাটো সন্তোষৰ কথা হৈছে। কামৰূপী কথিত ভাষাৰ শব্দসমূহ ভাব প্ৰকাশৰ বাবে অতি বলিষ্ঠ আৰু উপযুক্ত। মই বুকু হমহমায়-ৰ ঠাইত বুকু হমহম্ কৰে কামৰূপী ভাবেৰে ব্যৱহাৰ কৰি সুন্দৰ ফল পাইছোঁ।

কামৰূপী কথিত শব্দৰাজিৰ কিছু কিছু সংগৃহীত হ'লেও আমাৰ অভিধানসমূহত খুব কমেইহে অৰ্ন্তভুক্ত কৰা হৈছে। সেয়ে হ'ব পায় সেইবোৰ অব্যবহৃত হৈ ৰোৱাত সৰ্বসাধাৰণৰ অচিনাকি হৈ পৰিছে। উদাহৰণ স্বৰূপে কনকচন্দ্ৰ শৰ্মাৰ 'বাস্তৱ বৃত্তান্ত' একেবাৰে কামৰূপী কথিত ভাষাত লিখা। এয়া বলিষ্ঠ প্ৰকাশৰ ইঙ্গিত। আজান ফকীৰে আজি কেইবাশ বছৰৰ আগেয়ে জিকিৰ-জাৰীত প্ৰয়োগ কৰা ইছলামী শব্দই আজি ঘৰুৱা অসমীয়া বা থলুৱা শব্দৰ স্থান দাবী কৰিব পৰা হৈছে । মুছলমান সমাজত ব্যৱহৃত হোৱা কিছু শব্দও অভিধানত ততালিকে অন্তর্ভুক্ত কৰা দৰকাৰ।

আমাৰ অসমীয়া ভাষা এতিয়া বিভিন্ন ভাষা-ভাষী বহু জনগোষ্ঠীৰ লোকৰ মাজত এক উমৈহতীয়া মূল ভাষাৰূপে থিয় দিবলৈ আগবাঢ়িছে। সমন্বয় আৰু সংমিশ্ৰণৰ ফলত ভাষাৰ ৰক্ষণশীলতা এৰা পৰিছে বা পৰিব লগীয়া হৈছে। উত্তৰ-পূৰ অঞ্চলৰ একালৰ অসমৰ অন্তর্গত অৰুণাচল প্ৰদেশ, নাগালেণ্ড আদিত অতীজৰপৰাই অসমীয়া বা ভঙা অসমীয়াই সংযোগী ভাষা বা ভাব আদান - প্ৰদানৰ ভাষাৰূপে চলি আহিছে। অসমীয়া ভাষালৈ অৰুণাচলী সাহিত্যিকৰ সুন্দৰ অৱদান আছে। লুম্মেৰ দাইৰ অপূৰ্ব সৃষ্টি 'পৃথিৱীৰ হাঁহি'। টাগাং টাকি, য়েছে দৰজে ঠংচি প্ৰমুখ্যে সাহিত্যিক সকলৰ লিখাৰ মাধ্যম অসমীয়া ভাষা। খাছী জীৱনৰ আধাৰত অমূল্য বৰুৱাই ১৯৭৩ চনত লিখা 'উ খুন জঙ্গা' , আজিৰ বড়ো মানসিকতা প্ৰকাশ কৰা মেদিনী চৌধুৰীৰ 'ফেৰেঙ্গাদাও' , কাৰ্বি জীৱনৰ আধাৰত ৰচিত ৰংবং টৈৰাঙৰ 'ৰংমিলিৰ হাঁহি', গোবিন্দ পৈৰাৰ চুটি গল্পসমূহ আমাৰ সমন্বয়ৰ আৰ্হিৰূপে উজ্জ্বল হৈ আছে। অৰুণাচল আৰু নাগালেণ্ডৰ বিভিন্ন গোষ্ঠীৰ জনজাতিৰ মাজত এটাই আনটোৰ ভাষায় দোৱান বুজি নোপোৱাৰ কাৰণে অতীজৰেপৰা অসমীয়াতেই মনৰ ভাবৰ আদান-প্ৰদান কৰি আহিছে। অৰুণাচল প্ৰদেশত এসময়ত শিক্ষাৰ মাধ্যম আছিল অসমীয়া। যি কাৰণতেই নহওক, কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰভাষা দিলে - সেইটো দিয়ক বাৰু। কিন্তু এইবোৰ অঞ্চলত অসমীয়া ভাষাক একেবাৰে উচ্ছেদ কৰাই নহয়, অসমীয়া-বিৰোধী মনোবৃত্তি তাত পৰিকল্পিতভাবে সৃষ্টি কৰা হৈছে- ১৯৭২ চনৰপৰা। আমিও তাৰ বাবে কিছু দায়ী নহওঁনে ? তথাপি অসমীয়া এই বটবৃক্ষৰ মূলোচ্ছেদ এতিয়াও তাত কৰিব পৰা নাই। আমিও জানো তাত বাধা দিবলৈ কিবা কৰিছোঁ ? যদি নাই কৰা, আমি এতিয়াৰপৰা কৰিব লাগিব - অৰুণাচলৰ সাহিত্যিকৰ সৈতে আলচ কৰি।

এনে পটভূমিত আমাক এখন সৰ্বাধুনিক অভিধান আৰু এখন সহজ ব্যাকৰণ লাগে। অসমীয়া ভাষাত থকা জটিলতাও পাৰিলে কিছু কম কৰাৰ দৰকাৰ। আৰু এই কাম কৰিব লাগিব অসম সাহিত্য সভাই। ইয়াৰ বাবে গুণী আৰু বিজ্ঞ লোকক তথা বিশেষজ্ঞজনক বিচাৰ-খোঁচাৰ কৰি সা- সম্মানে আনি একে ঠাই কৰি কামত আগ বাঢ়িব লাগিব। তথাকথিত বিশেষজ্ঞ বুলি ভাবি থকা একোটা গোষ্ঠীৰপৰা এই ক্ষেত্ৰত মুক্ত হোৱা দৰকাৰ । এই কাম কৰিব লাগিব আমি এতিয়াই। এইটো বিজ্ঞানৰ যুগ। অভিধানত থলুৱা বিভিন্ন শব্দৰাজিৰ উপৰি নতুনকৈ আমাৰ ভাষাত প্ৰৱেশ কৰা ৰাজনীতি, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদিৰ শব্দসমূহ সামৰিব লাগিব; শব্দৰ লগত মূল উৎসৰ কথা, তাৰ গঠন ইত্যাদিও থাকিব লাগিব। অলাগতিয়াল আৰু জীণ নোযোৱা বিদেশী আৰু আচহুৱা শব্দৰ ব্যৱহাৰ নকৰি আমাৰ ঘৰুৱা আৰু থলুৱা সমাৰ্থক শব্দ-সম্ভাৰৰ প্ৰয়োগ অধিক কৰা যুক্তিসঙ্গত হ'ব। তাৰ বাবে এইবোৰ অভিধানত থাকিব লাগিব - বহু অসমীয়া বলিষ্ঠ থলুৱা শব্দ। গোৱালপৰীয়া, কামৰূপী শব্দসমূহ উদ্ধাৰ কৰি যথোপযুক্ত ব্যৱহাৰেৰে সিবোৰৰ প্ৰচলন বৃদ্ধি কৰিব লাগিব। থলুৱা শব্দৰ মুকলি ব্যৱহাৰে বিভিন্ন জনজাতীয় গোষ্ঠী আৰু আন জনগোষ্ঠীক এই বিশাল ভাষাক নিজৰ ভাষা বুলি, উমৈহতীয়া ভাষা বুলি, [illegible] বুলি, সংযোগী ভাষা বুলি ভাবিবলৈ উৎসাহিত কৰিব বুলি আমাৰ বিশ্বাস- ইয়াৰ প্ৰতি তেহে সকলোৰে আপোন ভাব জাগি উঠিব।।

আজি ১৯৯৩ চনৰ ৬ ফেব্ৰুৱাৰী। এয়া শিৱসাগৰ। ব'লক মই এতিয়া আপোনালোকক লৈ ৰাওঁ ছয়সত্তৰ বছৰ পূৰ্বৰ অথাৎ ১৯১৭ চনৰ ২৬/২৭ ডিচেম্বৰলৈ- শিৱসাগৰলৈ- অসম সাহিত্য সভাৰ জন্ম-মুহূৰ্তলৈ। তাহানিৰ অভিলেখত থকা এয়া সেই সভাৰ বৰ্ণনা (বানান অপৰিবৰ্তিত ৰখা হৈছে)ঃ অসমত সাহিত্য সভা এখনি স্থাপন কৰিবৰ কাৰণে ১৯১৭ চনৰ ২৮ চেপ্তেম্বৰ তাৰিখে শিৱসাগৰৰ ক্লাব-ঘৰত শ্ৰীযুত তাৰাপ্ৰসাদ চলিহা বেৰিষ্টাৰ ডাঙৰীয়াক সভাপতি পাতি এখনি সভা পতা হয়।

তাত ১৯১৭ চনৰ ডিচেম্বৰ মাহত অসমৰ শিক্ষিত আৰু সাহিত্যানুৰাগী পুৰুষসকলক নিমন্ত্ৰণ কৰি এখনি 'সদৌ অসম-সাহিত্য সভা' গঠন কৰিবৰ প্ৰস্তাৱ কৰা হয় আৰু সেই উদ্দেশ্যে হোৱা সম্মিলনীত শ্ৰদ্ধাস্পদ ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াক সভাপতি বৰণ কৰা হয়।

সেই অনুসাৰে ১৯১৭ চনৰ ২৬ ডিচেম্বৰ তাৰিখে শিৱসাগৰৰ আসাম কনফাৰেন্সৰ ৰভা ঘৰতে সদৌ অসম সাহিত্য সম্মিলনী বহিছিল। ঠিক এক বজাত সভাৰ কাৰ্য আৰম্ভ হৈছিল। শ্ৰীযুক্ত লক্ষ্মীকান্ত বৰুৱাদেৱৰ ৰচিত গান এটিৰে সভাৰ কাৰ্য আৰম্ভ কৰাৰ পাছত অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত গুঞ্জানন বৰুৱা ডাঙৰীয়াই সভাৰ উদ্দেশ্য বুজাই দিয়াত অনাৰেবল ৰায় ফণীধৰ চলিহাৰ প্ৰস্তাৱ মতে আৰু শ্ৰীযুত হৰেশ ৰাজখোৱা আৰু শ্ৰীযুত দেৱেশ্বৰ চলিহা ডাঙৰীয়াৰ সমৰ্থন মতে ৰায়চাহাব শ্ৰীযুক্ত পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে।

সভাত ৭০০/৮০০ মানুহ গোট খাইছিল। এই বক্তৃতা (সভাপতিৰ ভাষণ) শেষ হোৱাৰ পাছত ৰচনা পাঠ আৰম্ভ হয়। প্ৰথমে নগাওঁ মৌলবী মোছলেউদ্দিন আহমেদৰ "অসমীয়া সাহিত্য আৰু মুছলমান" বিষয়ক ৰচনা পাঠ কৰা হয়। তাৰ পাছত গুৱাহাটীৰ শ্ৰীযুত বিপিনবিহাৰী বৰা ডাঙৰীয়াৰ 'গোবৰ ৰহস্য' বিষয়ক দীঘল অথচ ৰসপূৰ্ণ ৰচনাই সভাক অতিকৈ আমোদ দিলে। তাৰ পাছত শ্ৰীযুক্ত শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ 'কীৰ্তনৰ সাহিত্য সৌষ্ঠৱ' শীৰ্ষক ৰচনাৰ এক খণ্ড পাঠ কৰা হয় আৰু শেহান্তৰত শ্ৰীযুক্ত ৰত্নকান্ত ৰৰকাকতীৰ 'অসমীয়া ভাষা' বিষয়ক প্ৰবন্ধ পঢ়িবলৈ সময় নাটনি হোৱাত তাৰ এভাগ পঢ়াৰ পাছত বাকী ভাগ পঠিত বুলি গণ্য কৰা হ'ল। তাৰ পাছত শ্ৰীযুত তাৰাপ্ৰসাদ চলিহা ডাঙৰীয়াৰ প্ৰস্তাৱ আৰু শ্ৰীযুত বংশীভূষণ বৰুৱাৰ সমৰ্থন মতে তলত লিখা ভদ্ৰলোকসকলক বিষয় নিৰ্বাচনী সভাৰ সভ্য নিযুক্ত কৰা হ'ল।

সভাপতি ডাঙৰীয়া, অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙৰীয়া, শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী শ্ৰীযুত হৰিকৃষ্ণ দাস, শ্ৰীযুত কুলধৰ চলিহা, শ্ৰীযুত দেৱেশ্বৰ শৰ্মা, শ্ৰীযুত শিৱনাথ ভট্টাচাৰ্য, শ্ৰীযুত মহাদেৱ শৰ্মা, শ্ৰীযুত চন্দ্ৰনাথ শৰ্মা, মৌলবী মিন্নৰ আলী, মৌলবী মোছলেউদ্দিন আহমেদ, শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱা, শ্ৰীযুত সিদ্ধেশ্বৰ গোঁহাই , শ্ৰীযুত দেৱেশ্বৰ চলিহা, শ্ৰীযুত লোহিত চন্দ্ৰ ভূঞা।

লেখক :
স্বা : শ্ৰীসিদ্ধেশ্বৰ গোঁহাই
অভ্যৰ্থনা সমিতিৰ সভ্য।

স্বা : গুঞ্জানন বৰুৱা
অভ্যৰ্থনা সভাৰ সভাপতি
স্বাক্ষৰ : শ্ৰীলক্ষ্মীকান্ত বৰুৱা
অভ্যৰ্থনা সমিতিৰ সম্পাদক

এই সভাৰ উদ্দেশ্য কি আছিল ? পঢ়ি দিছোঁ।

প্ৰথম নিয়মাবলী

আসাম সাহিত্য সভাৰ নিয়মাবলী

(ক) নাম

১) এই সভাৰ নাম হ'ব "অসাম সাহিত্য সভা"।

২) অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্বাংগীন উন্নতি কৰাই এই সভাৰ উদ্দেশ্য।

৩) ৰাজনৈতিক বিষয়ত এই সভাই হাত নিদিয়ে।

৪) অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে সভাই তলত দিয়া মতে বিশেষ কাৰ্য কৰিবলৈ যত্নপৰ হ'ব।

(ক) অভিধান আৰু ব্যাকৰণৰ সংস্কৰণ

(খ) প্ৰাচীন সাহিত্যৰ অনুসন্ধান

(গ) আমাৰ সাহিত্যত যি যি বিষয়ৰ পুথিৰ অভাৱ সেই সেই বিষয়ত পুথি লিখাৰ চেষ্টা।

(ঘ) নিভাঁজ পুৰণি অসমীয়া সুৰৰ ৰেৰ্কড (গ্ৰামোফোন) প্ৰস্তুত,

(ঙ) সঙ্গীত আৰু চিত্ৰবিদ্যা শিক্ষাৰ অৰ্থে বৃত্তিদান।

(চ) সভাৰ মুখপত্ৰ এখন প্ৰকাশ,

(ছ) সাহিত্য উন্নতিৰ অৰ্থে আন কোনো প্ৰকাৰ যত্ন- ইয়াৰ লগত সভাৰ গঠন, কাৰ্য-নিৰ্বাহক সভা, শাখা সভা, স্বীকৃত সভা, বাৰ্ষিক সাহিত্য সম্মিলন, অভ্যৰ্থনা সভা, বিষয় বাছনি সভা, সম্মিলনৰ সভাপতি, সম্মিলনৰ কাৰণে প্ৰবন্ধ আদি টকা-কড়ি, নিয়ম পৰিবৰ্তন - এইকেইটা ছেদ নিয়মাবলীৰ অন্তভুৰ্ক্ত হয়।

পিছত গোৱালপাৰাত অনুষ্ঠিত দ্বিতীয় অধিবেশত ১৩ টা সংশোধনী গ্ৰহণ কৰা হয়।

১৯১৭১ পৰা ১৯৯৩ লৈকে লুইতৰ ওপৰেদি বহু পানী বাগৰি গ'ল, বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে অসম সাহিত্য সভা বাচি থাকিল। ৭৬ বছৰৰ মাজত প্ৰথম মহাযুদ্ধৰ অশুভ প্ৰভাৱ, দ্বিতীয় মহাযুদ্ধ আৰু বহুতো ৰাজনৈতিক কাৰণত অসম সাহিত্য সভা পাতিব পৰা নগ'ল বাবেই আজিৰ এই অধিবেশনক ঊনষাঠিতম অধিবেশন বোলা হৈছে। ওপৰত উল্লেখ কৰা উদ্দেশ্যসমূহ পঢ়িলে এনে নেলাগেনে যে আজি ১৯৯৩ চনতো সেইবোৰ অৰ্থপূৰ্ণ জীয়া জীয়া হৈ আছে?

আজি আমি গৌৰৱেৰে ক'ব পাৰোঁ যে ভাৰতত আধুনিক ভাৰতীয় ভাষাসমূহৰ মাজত আমাৰ অসমীয়া ভাষা-সাহিত্য উন্নতশিৰে থিয় হৈ আছে। সুখৰ কথা যে দুদিন আগলৈকে ভাৰতৰ সাহিত্য একাডেমীৰ সভাপতিৰ আসন শুবাই আছিল 'জ্ঞানপীঠ' বিজেতা 'মৃত্যুঞ্জয়' , ' ইয়াৰুঈঙ্গম'ৰ দৰে যুগজয়ী সাহিত্য-কৰ্মৰ স্ৰষ্টা আমাৰ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যদেৱে। বেজবৰুৱাদেৱৰ দিনত বহুতো অসমীয়াই হতাশাগ্ৰস্ত হৈ 'অসমীয়া ভাষা-সাহিত্যৰ অস্তিত্ব হেৰাই নেযায়তো' বুলি সংশয় প্ৰকাশ কৰিছিল। উত্তৰত বেজবৰুৱাদেৱে কৈছিল- অসমীয়া ভাষা নমৰে। আজি ময়ো কৈছোঁ ১৯৯৩ চনত - অসমীয়া ভাষা সাহিত্য উচ্চ শিৰে জীয়াই আছে আৰু জীয়াই থাকিব। ১৯৮৩ চনৰ, অথাৰ্ৎ জুয়ে পোৱা তিৰাশীমানৰ পৰা মই কিছু মানুহে কোৱা শুনো- বৰ অসম খণ্ড-বিখণ্ড হৈ সৰু অসম হ'ল যেতিয়া এই ৰাজ্যৰ ভাষা-সাহিত্যও লোপ পাব- অসমীয়া জাতিটো নিঃচিহ্ন হৈ যাব। মই তাৰ উত্তৰত কওঁ: ঊনবিংশ শতিকাত বিট্ৰিছ অহাৰ পাছত প্ৰায় ৩০/৪০ বছৰ ধৰি অসমীয়া ভাষা অসমৰপৰা নিৰ্বাসনত থাকিও জী থাকি যদি আজিৰ অৱস্থা পালেহি, তেন্তে আজি আমাৰ কিছু লোক অসমীয়া ভাষা-সাহিত্যৰ অস্তিত্ব সম্পৰ্কে কিয়নো সন্দিহান হ'ব লাগে?

সূৰ্য বুৰ নোযোৱা ইংৰাজ সাম্ৰাজ্য ভাগি-ছিগি সম্প্ৰতি এটি দ্বীপতহে ৰৈছেগৈ। অথচ অকল গুণগত সৌন্দৰ্য, সাৰ্বজনীনতা, গভীৰতা আৰু বহল মনোভঙ্গীৰ বাবে ইংৰাজী ভাষা-সাহিত্যক সমগ্ৰ পৃথিবীয়েই আকোঁৱালি লৈছে। কোনো সাহিত্য জীয়াই থকাৰ সৈতে ভৌগোলিক বিৰাটত্বৰ বৰ বেছি সম্বন্ধ নাই। বঙ্গদেশ ভাগি-ছিগি টুকুৰা-টুকুৰ হ'ল - কিন্তু বাংলা ভাষাৰ সৃজনী প্ৰতিভাক সমগ্ৰ পৃথিবীয়ে সন্মান কৰি আহিছে। সেয়ে কওঁ, যিসকল অসমীয়াই অসমৰ ভাষা-সাহিত্যৰ ভবিষ্যৎ লৈ হীনমন্যতাত ভুগিছে, তেওঁলোকৰ এই সন্দেহ অমূলক, এই সংশয় অৰ্থহীন। অসমীয়া ভাষা-সাহিত্য জীয়াই আছে - জীয়াই থাকিব। ঊনৈশ শতিকাত পাঠ্যপুথি আৰু অন্যান্য স্বীকৃতি নথকাতো শ্ৰীশ্ৰীশংকৰ-মাধৱৰ অমৰ ৰচনাৰ ভেটিয়েই অসমীয়া ভাষা-সাহিত্যক জীয়াই নেৰাখিলে জানো? এই কালজয়ী যুগজয়ী অসমীয়া ভাষা-সাহিত্য জীয়াই আছে আৰু নতুন প্ৰজন্মৰ সাহিত্যিকে ইয়াক বিশ্ব-সবাহলৈ অতি শীঘ্ৰে লৈ যাব। তাৰ ইঙ্গিত আমি পাইছোঁ।

এইখিনিতে আমাৰ এটি বিনম্ৰ অনুভৱ আছে। পঞ্চম দশকত মননশীল সাহিত্য-সমালোচক কিছু পোৱা গৈছিল। সিদিনা এই বিষয়ত বাট-কটীয়া জনৈক প্ৰতিষ্ঠিত সমালোচকক সুধিছিলোঁ: আজিকালি তেনে বিধৰ উচ্চ মানৰ সমালোচক পোৱা নেযায় কিয়? তেওঁ মিচিক কৰে হাঁহি এটি মাৰি ক'লে : দাদা,এওঁলোকে আজিকালি অসমীয়া সাহিত্য নপঢ়ে। মই তেতিয়া সুধিলোঁ: কিয় নপঢ়ে? আজিকালি মননশীল সাহিত্য প্ৰকাশ নহয় বুলি, নে আমাৰ গভীৰ লিখকসকলে সু-সাহিত্য সৃষ্টি কৰিবলৈ এৰিছে কাৰণে, নে জ্ঞানী সমালোচকসকলে গভীৰ মননশীলতাৰে নিজৰ মত দিবলৈ, কাকত-আলোচনীৰ অভাৱ হৈছে? সমালোচকজনে চকু দুটা মুদি ক'লে - দাদা , এই সকলোকেইটাই আংশিকভাৱে সত্য। ' সাহিত্যক জনমুখী কৰিবলৈ আমি চেষ্টা কৰা উচিত হ'ব। অসমীয়া সৃষ্টিধৰ্মী সাহিত্যত বিভিন্ন থলুৱা গোষ্ঠী, জনজাতি, সম্প্ৰদায় আদিৰ সমাজ-জীৱন প্ৰকাশ পালেহে সাহিত্য জনপ্ৰিয় হ'ব। সেইদৰে আঞ্চলিক ভাষাত জনজীৱনক ৰূপায়িত কৰিব পাৰিলে সেয়াও এক সুন্দৰ দৃষ্টান্ত হ'ব।

বিভিন্ন ৰাজনৈতিক সমস্যা, সামাজিক সংঘাত আদিৰ ছবি, অন্যান্য সমস্যা, প্ৰাকৃতিক দুৰ্যোগ বা সমস্যা, আৰ্থ-সামাজিক উন্নয়নমুখী প্ৰকল্পসমূহৰ বিশ্লেষণ থকা মানবীয় কাহিনীক জীৱন্ত ৰূপ দিয়াৰ সময় আহি পৰিছে আমাৰ সাহিত্যত।

বানপানীৰ অতিৰিক্ত পানীখিনি বাৰিষা গোটাই থৈ, সৰু জলসিঞ্চন পদ্ধতিৰে খৰালি খেতিক সজীৱ কৰাৰ সৰু সৰু প্ৰচেষ্টা, সৌৰশিখী বান্ধি বিদ্যুৎ শক্তি সৃষ্টি নকৰি, সৌৰশিখি প্ৰকল্পক এন্ধাৰত পেলাই থোৱাৰ প্ৰতিবাদত মিচিংসকলৰ মনৰ ক্ষোভ ক্ৰোধাদিৰ বিশ্লেষণ আদি, আজিৰ শিক্ষিত ডেকাসকলৰ কৃষি-পাম কৰাৰ প্ৰচেষ্টাত পোৱা বাধাসমূহৰ জীয়া কাহিনীৰ ছবিৰ জীৱন্ত ৰূপ দিয়াৰ সময় আহি পৰিছে, আজিৰ যুৱশক্তিৰ ক্ৰোধ, মৃত্যুৰ সৈতে সখি পতাৰ কাৰণৰ বিশ্লেষণ থকা মনস্তাত্ত্বিক সাহিত্য সৃষ্টি, একেজন অসমীয়া ব্যক্তিৰ ব্যক্তিত্বত অন্তৰ্নিহিত একাধিক সত্তাৰ বিশ্লেষণ থকা সাহিত্য সৃষ্টি কৰাৰ সময় আহিছে। অসমৰ বুকুৰেদি ১৯৭৮ চনৰপৰা কিমান সমাজনৈতিক ধুমুহা, শিল-বৰষুণ, ৰাজনৈতিক বজ্ৰপাত, ভূমিকম্প পাৰ হৈ গ'ল কিমানবোৰ গণ-আন্দোলন হৈ গ'ল, ৰাষ্ট্ৰ-বিপ্লৱ সংঘাত আদি গ'ল, কিমান মানুহে প্ৰাণ দিলে, কিমান পিতৃ পুত্ৰহাৰা হ'ল, কিমান মাতৃৰ বুকু শুদা হ'ল, কত নাৰীৰ শিৰৰ সেন্দুৰ মচা গ'ল- এইবোৰৰ বিশ্লেষণ থকা সাহিত্য সৃষ্টি কৰাৰ সময় এয়াই নহয় জানো? মাৰ্ক্সবাদ, ধনতন্ত্ৰবাদ, গান্ধীবাদ আদিৰ নৱ মূল্য নিৰূপণৰ পাছত উত্তৰ হোৱা মানসিকতা, উপগ্ৰহৰ মাধ্যমে পৃথিৱীখন এখন গাওঁলৈ পৰিবৰ্তিত হোৱাৰ ফলত ঘটা সাধাৰণ মানুহৰ মানসিক পৰিৱৰ্তনৰ আলেখ্য থকা সাহিত্য সৃষ্টিৰ সময় এয়াই নহয় জানো?

দেখা গৈছে, অসম চৰকাৰে ৰাজ্যভাষাৰূপে অসমীয়া ভাষাক প্ৰশাসনৰ য'ত যেনেকৈ ব্যৱহাৰ কৰিব লাগে তেনেদৰে কৰা নাই - গাফিলতি কৰি আহিছে। অসমৰ প্ৰশাসনতে অসমীয়া ভাষাৰ প্ৰতি ই এক অপমান - অন্যায়। ইয়াক শীঘ্ৰে শুধৰাওক। সুখৰ কথা যে অলপতে শিক্ষামন্ত্ৰীয়ে অসমীয়া ভাষা প্ৰশাসনত ভালদৰে ব্যৱহাৰ কৰিবলৈ এটি নিৰ্দেশ জাৰি কৰিছে। ইয়াক ত্ৱৰান্বিত কৰক।।

কেন্দ্ৰীয় স্কুলসমূহত হিন্দী আৰু ইংৰাজীৰ সৈতে অসমীয়া ভাষা-সাহিত্য শিক্ষাৰ কোনো ব্যৱস্থা ৰখা নাই। ই অন্যায় । ভাৰত চৰকাৰে পতা সৰ্বভাৰতীয় IAS, IFS, IPS আদি পৰীক্ষাসমূহত এটি আধুনিক ভাৰতীয় ভাষাৰ জ্ঞান বাধ্যতামূলকভাৱে বিচাৰে। তেতিয়া অসমৰ কেন্দ্ৰীয় স্কুলৰপৰা উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে দিল্লীলৈ গৈ বিপাঙত পৰে, কাৰণ অসমৰে ল'ৰা-ছোৱালী, অসমতে পঢ়িলে যদিও নিজৰ মাতৃভাষা অসমীয়া নেজানে। কেন্দ্ৰীয় চৰকাৰক প্ৰশ্ন কৰোঁ- অসমীয়া ভাষাটোৱে অসমৰে শিক্ষালয়সমূহত স্থান নেপায় যদি ক'ত স্থান পাব? এইটো শুধৰাওক। কেন্দ্ৰীয় চৰকাৰলৈ এয়া আমাৰ দাবী।

- অসমীয়া ভাষা আৰু সাহিত্য জানিব খোজাসকলৰ বাবে আমাক এখন Descriptive Bibliography (বৰ্ণনাত্মক গ্ৰন্থপঞ্জী) এতিয়াই আৱশ্যক।

- বিজ্ঞানভিত্তিক গৱেষণামূলক অসমৰ বাৰেৱৰণীয়া সংস্কৃতিৰ এখন সম্পূৰ্ণাঙ্গ একক গ্ৰন্থৰ এতিয়াই প্ৰয়োজন। নতুন চাম অসমীয়া, অসমৰ নতুন পুৰুষৰ লগতে বহিৰ্বিশ্বক জনাবৰ বাবে এই গ্ৰন্থ অতি আৱশ্যক। এইবোৰ কাম জানো অসম সাহিত্য সভাই সমাধা কৰিব নোৱাৰে?

- আমাক এটি Literary Complex বা ভাষা-সাহিত্যৰ প্ৰকল্প এতিয়াই লাগে। ইয়াৰ বাবে কিছু মাটিৰ আৱশ্যকতা আছিল। সুখৰ কথা যে যোৱা ২৪ জানুৱাৰী ৯৩ ৰ দিনা হেঙেৰাবাৰী এ'প্ৰেছ হাইৱেৰ দাঁতিত এতিয়াৰ চৰকাৰে ৫০ বিঘা মাটি অসম সাহিত্য সভাক দান কৰিছে। চৰকাৰ এই সুকাৰ্যৰ বাবে ধন্যবাদৰ পাত্ৰ।

প্ৰস্তাৱিত এই অত্যাধুনিক প্ৰকল্পত কি কি থাকিব? এই প্ৰকল্পত সাঁচিপতীয়া দিনৰে পৰা আজি পৰ্য্যন্ত প্ৰকাশিত আৰু অপ্ৰকাশিত সকলো পুথিৰ সংৰক্ষণেৰে এটি গ্ৰন্থাগাৰ আৰু পাঠাগাৰ, দীৰ্ঘম্যাদী আৰ্চনি- ভিত্তিক গ্ৰন্থ-প্ৰণয়ন-কক্ষ, আধুনিক আৰু উন্নত মানৰ এটি ছপাশাল, এটি সংৰক্ষণশালা, স্থায়ী আৰু বিজ্ঞানসম্মত এটি কলা-বীথিকা, তথ্যকেন্দ্ৰ (কম্পিউটাৰাইজড্), এটি সাক্ষৰতা কোষ বা Cell, এটি পাঁচ হেজাৰ দৰ্শক বহিব পৰা মুকলি মঞ্চ- য'ত ভাওনাৰপৰা ৰেখ্‌টিয়ান্ নাট ৰূপায়িত কৰিবৰ যোগ্যতা থাকিব। অত্যাধুনিক দৃশ্য-শ্ৰব্য পদ্ধতি আৰু মাইক্ৰ'ফিল্ম পদ্ধতিৰে গ্ৰন্থসমূহ আৰু অন্যান্য কাকত-পত্ৰ সংৰক্ষণৰ ব্যৱস্থা ইয়াত থাকিব লাগিব।। জনজাতীয় সাহিত্যসমূহৰ চৰ্চা, শিক্ষা আৰু বিকাশৰ গৱেষণাক বিশেষভাৱে স-সম্মানে মূল অঙ্গ কৰি অন্তৰ্ভুক্ত কৰা হৈছেই। অসমীয়া জাতীয় জীৱনৰ সৰ্বপ্ৰাচীন আৰু সুবৃহৎ অনুষ্ঠানটিয়ে গ্ৰহণ কৰা- এই অধিবেশনত গ্ৰহণ কৰা আঁচনি অনুযায়ী উক্ত প্ৰকল্পৰ ভিতৰত ভাৰত-দৰ্শনৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক জীৱন প্ৰতিফলিত হোৱাকৈ এটি সুবৃহৎ সাংস্কৃতিক প্ৰকল্পও ইয়াৰ সৈতে নিৰ্মাণ কৰা হ'ব, যাৰ স্থাপত্যত স্বৰ্গীয় ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে নন্দনতত্ত্বৰ সমন্বয়

বাখি অঙ্কন কবি যোৱা কামৰূপী স্থাপত্যৰ আৰ্হি সন্নিবিষ্ট কৰা হ'ব। এই বিষয়ে আমি বিশেষজ্ঞসকলৰ ওচৰত মনোভাব প্ৰকাশ কৰিছোঁহক। এই বিৰাট সাহিত্য-প্ৰকল্পই অসমৰ ভাষা-সাহিত্যসমূহক গজগজীয়া ভেটি দিব- অনাগত একবিংশ শতিকাত উচ্চ শিৰে খোজ কাঢ়িবলৈ । হয়, আমাক এনে এটি সাহিত্য প্ৰকল্প লাগে।। আৰু এই বছৰতে কাম আৰম্ভ হ'ব লাগে।

- যোৰহাটৰ ৰাধাকান্ত সন্দিকৈ ভৱনৰ নিৰ্মাণ- কাৰ্য সম্পূৰ্ণ কৰি তুলিব লাগিব। ই এতিয়াও আধৰুৱা হৈ আছে। ডিফুৰ ৰাংচিনা ভৱনটোও সুবিধাজনক ৰূপত গঢ় দিয়াটো আমাৰ কৰ্তব্য।

- কোচবিহাৰলৈ গৈ দেখিলোঁ মাধৱদেউৰ সমাধিক্ষেত্ৰ ভেল্লা সত্ৰ তেৰচা নদীৰ বানপানীয়ে নিঃচিহ্ন কৰিছে। মধুপুৰ সত্ৰৰ ওচৰতে কিছু মাটি পশ্চিমবঙ্গ চৰকাৰৰপৰা খুজিতাত এখনি সত্ৰ পাতি দিব লাগিব আমিয়েই।

চাৰিওফালে ধ্বনি উঠিছে অসমীয়া সাহিত্যৰ পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰিব লাগে। আমি এনে মন্তব্যত সচৰাচৰে অকল শিক্ষিত বা কিছু শিক্ষিত লোকৰ কথাহে ভাবোঁ। নিৰক্ষৰ জনতাৰ কথা নেভাবোঁ, পিছে ভাবিবৰ হ'ল-। অসম সাহিত্য সভাই যদি অহা পোন্ধৰ বছৰত এচাম নব্য সাক্ষৰ লোক পায় তেতিয়াহ'লে ভাল নহ'বনে? যদি ভাল হয় তেন্তে এতিয়াই সভা সাক্ষৰতা অভিযানৰ সৈতে জড়িত হওক। এই বিষয়ে এটি বাতৰি দিওঁ। নিদৰ্শনৰূপে - বৰ্তমানৰ জৰীপমতে, যোৰহাট জিলাত ১৫ ৰ পৰা ৪৫ বছৰ বয়স-সীমাৰ ভিতৰত প্ৰায় একলাখ লোকক নিৰক্ষৰ বুলি চিনাক্ত কৰা হৈছে। মুঠ ৮৬খন গাওঁ, বাগিচাৰ ভিতৰত ৫০ শতাংশতকৈ অধিক নিৰক্ষৰ শ্ৰমিক বুলি ধৰা হৈছে। মুঠ নিৰক্ষৰৰ ভিতৰত ২০ হেজাৰ মাজুলী মহকুমাৰ। ইয়াৰ সৰহ সংখ্যক অনুসুচিত জাতি আৰু জনজাতি সম্প্ৰদায়ৰ লোক। যোৰহাট মহকুমাৰ মুঠ নিৰক্ষৰ লোকৰ প্ৰায় ৮০ ভাগেই চাহ-শ্ৰমিক গোষ্ঠীৰ লোক। আচঁনি এয়া প্ৰায় ১১ হেজাৰ স্বেচ্ছাসেৱকক প্ৰশিক্ষণ দিয়াৰ বাবে সমিতিয়ে প্ৰায় পাচঁশগৰাকী ওজা শিক্ষকক লৈছে। জিলাখনৰ ১১১ খন গাওঁ পঞ্চায়তৰ ২২২ টা প্ৰশিক্ষণ-কেন্দ্ৰত স্বেচ্ছাসেৱী শিক্ষকসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাও লোৱা হৈছে। এই যোৰহাট জিলা সাক্ষৰতা সমিতিৰ উদ্যোগত বিভিন্ন পদ্ধতিত গীত-মাত, বাটৰ নাট আদিৰো সহায় লোৱা হৈছে। যি দেখিছোঁ, যোৰহাট পূৰ্ণ সাক্ষৰ কৰাৰ অভিযান আৰম্ভ হৈ গৈছেই। আমাৰ অসম সাহিত্য সভাৰ কৰ্মীসকলে এনে সাক্ষৰতা অভিযানত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিলে ভাল হয়। সদৌ অসমতে এ: অভিযানত ব্যৱহাৰ কৰিবলৈ মই নিজেই শিক্ষামুলক চাৰিটি গীত বাণীবদ্ধ কৰি দিছোঁ আৰু সাহিত্য সভাৰ হৈ অংশ গ্ৰহণ কৰিছোঁ। আমাৰ সাহিত্য সভাৰ কৰ্মীসকলে এইফালে গুৰুত্ব দিলে অহা ১৫ বছৰৰ পাছত এচাম সাহিত্যিক নব্য সাক্ষৰৰ বাবে বিশেষ সাহিত্য সৃষ্টি কৰিব পাৰিব। তেতিয়া অসমীয়া কিতাপৰ পঢ়ুৱৈ কিছু বাঢ়িব নিশ্চয়।

অসমীয়া ভাষা-সাহিত্যক জগত-সভালৈ লৈ যোৱাৰ কথা প্ৰায়ে কোৱা শুনো। এই লিখকৰ যাযাবৰী জীৱনত যেতিয়া জাৰ্মেনীৰ পাঠাগাৰত স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈৰ গ্ৰন্থ দেখোঁ, লেনিনগ্ৰাডৰ অ'ৰিয়েণ্টেল ষ্টাডিজ ইন্সটিটিউত যেতিয়া স্বৰ্গীয় বাণীকান্ত কাকতিৰ 'কলিতা জাতিৰ ইতিবৃত্ত'ৰ কথা প্ৰাচ্যবিদ প্ৰফেছৰ কলিয়ানভে সোধে, যেতিয়া পূৰ্ব ইউৰোপৰ কবি-সভাত নীলমণি ফুকন, নৱকান্ত বৰুৱা বা এমেৰিকা-চীনত নিৰ্মলপ্ৰভা বৰদলৈয়ে কবিতা আবৃত্তি কৰি প্ৰশংসা পোৱাৰ কথা শুনো, তেতিয়াই অসমীয়া হিচাপে আমাৰ বুকু গৌৰৱত ফুলি উঠে। আমাৰ প্ৰবাসী অসমীয়াসকলে (বিশেষকৈ যুক্তৰাষ্ট্ৰ আৰু কেনেডাৰ) আজি প্ৰায় দহ বছৰৰপৰা নানা প্ৰচেষ্টা কৰি আহিছে - অসমীয়া ভাষা সাহিত্যৰ প্ৰসাৰৰ ক্ষেত্ৰত। বৰ্তমানে তিনিটা সস্থাই নিজ নিজ অঞ্চলত কাম কৰি আছে। নিউজাৰ্চিৰ সাহিত্য সভাই কৃপানাথ বৰাৰ নেতৃত্বত বহুখিনি অৰ্থপূৰ্ণ কাম কৰি আছে। এই লিখকে এইবাৰ দেখি আহিছে এক অভিনৱ কথা। অসমীয়া তিনিশ পঞ্চাশটি পৰিয়ালে ৭০ হেজাৰ ডলাৰ (অথাৰ্ প্ৰায় চৰ লাখ টকা) সংগ্ৰহ কৰিছে - প্ৰতিশ্ৰুতি পাইছে এটি অসম ভৱন নিৰ্মাণ কৰিবৰ বাবে। তাৰ আৰ্হিও আমাক দেখুৱাইছে। মাটিখিনিও পোৱা গৈছে। ভাল ভাল অসমীয়া চুটি গল্পৰ ইংৰাজী অনুবাদ, অসমীয়া কবিতাৰ ইংৰাজী অনুবাদৰ প্ৰকাশনৰ ব্যৱস্থাও দেখি আহিছোঁ। ইংলণ্ডৰ প্ৰবাসী অসমীয়াসকলেও এই বিষয়ে চিন্তা-চৰ্চা কৰি আছে বুলি মোক কোৱা হৈছে। এমেৰিকান মিশনেৰীসকলৰ অসমৰ ভাষাৰ প্ৰতি বহুমূলীয়া অবদান আদিৰ বিষয়ে ডঃ দিলীপ দত্ত, ৰাজেন বৰুৱা প্ৰমুখে আন আন মননশীল অসমীয়া গৱেষকে অহোৰাত্ৰি কাম কৰি থকা দেখি আহিছোঁ। শুনি ৰং পাব যে এমেৰিকাৰ প্ৰবাসী অসমীয়াসকলৰ দানেৰে গঠিত আৰু সাহিত্য সভাৰদ্বাৰা পৰিচালিত অসমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত সাহিত্য প্ৰতিযোগিতাৰ বিজয়ীসকলক অসম সংঘ এমেৰিকাৰ বঁটা প্ৰদান কৰা হৈছে এই অধিবেশনতে।

অসমীয়া সাহিত্যক জগত-সভালৈ নিবলৈ আমাক ততালিকে লাগিব এটি অনুবাদ কোষ বা Cell । অনুবাদ হিন্দী আৰু ইংৰাজীত হ'ব লাগে। এই কামত সহায় কৰিব লাগে নেশ্বনেল বুক ট্রাষ্ট, প্রকাশন পৰিষদ, সাহিত্য একাডেমী, অসমৰ দুটা বিশ্ববিদ্যালয়ে। প্রকাশন পৰিষদৰ ভূমিকা অধিক ব্যাপক হ'ব লাগিব।

- সাহিত্যক জনমুখী কৰাৰ ক্ষেত্রত অসমৰ বিশিষ্ট সংবাদপত্রসমূহে, বিশেষকৈ বাংলা, হিন্দী আৰু ইংৰাজী ভাষাত প্রকাশিত সংবাদপত্র বা আলোচনীসমূহে অর্থপূর্ণ ভূমিকা গ্রহণ কৰিব লাগে। অসমীয়া সংবাদপত্রসমূহেও মননশীল অসমীয়া সাহিত্যৰ বাবে আছুতীয়াকৈ কিছু স্থান ৰখা উচিত।

- পূর্ব ভাৰতৰ বোলছবি নির্মাতাসকলে ধ্রুপদী ধাৰাৰ সাহিত্য সৃষ্টিক বোলছবিলৈ আৰু TV serial অলৈ ৰূপান্তৰিত কৰিবৰ সময় আহিল। এতিয়া 'আকাশেই সীমা' অথাৎ Sky is the limit বা Satelite TV-ৰ উপগ্রহ প্রসাৰৰ শতিকা এইটো। কেলভিন চিনেমাত কোনো এখন ছবি কেইসপ্তাহ চলিল তাৰ কাৰণে লাহে লাহে ভাবিব নলগা দিন আহিল। অসমৰ দূৰদর্শনলৈ এটি পৰামর্শ ঃ নতুন পুৰুষৰ মাজত অসমৰ সাহিত্য সৃষ্টিক জনপ্রিয় কৰিবৰ বাবে নিয়মীয়াকৈ সাহিত্যৰ 'কুইজ' অনুষ্ঠান পাতক। অসমীয়া সাহিত্যৰ ন ন পুস্তকৰ বিষয়ে পৰিচয়, সমালোচনা আদি প্রচাৰ কৰক। এই লিখক ডঃ পি চি যোশী কমিটীৰ সভ্য আছিল। সমগ্র ভাৰত ঘুৰি আমি কৈছিলোঁ ঃ আঞ্চলিক ভাষা-সাহিত্যক সদায়ে দূৰদর্শনে আগভাগ দিব লাগে।

লিখক- লিখিকাৰ বাবে সাহিত্য-প্রকল্পত এটি বিনোদন-কেন্দ্র লাগে - য'ত সাহিত্যিকসকলে ইজনে সিজনৰ সৈতে অর্থপূর্ণ আড্ডা মাৰিব পাৰে- কোনোবাই হয়তো আধা-লিখা কবিতা এটিকে লৈ আলচ কৰিব পাৰে.....। হয়, এনে এটি কেন্দ্র লাগে- য'ত সৃজনী প্রতিভাৰ লুকা-ভাকু খেলা চলি থাকে। মস্কোত মই 'টাগাস্কা' নামৰ এনে বিনোদন কেন্দ্রতে দেখিছিলোঁ ইভটুশ্বেঙ্কোৱে প্রকাশৰ স্বাধীনতা বিচাৰি মুক্তিৰ কবিতা ৰচনা কৰা।

অ' ৰ'ব। জগত- সভাৰ কথা কৈ আছোঁ। আমাৰ শ্রীমন্ত শঙ্কদেৱ কলাক্ষেত্রৰনো কি হৈছে? হৈছে কিবা। শ্রীমন্ত শঙ্কৰদেউ কলাক্ষেত্রৰ নির্মাণকার্য শামুকীয়া গতিত চলি আছে - লাহে লাহে - । গতি ক্ষিপ্রতৰ কৰক - সময় কালৈকো ৰৈ নাথাকে।

এইবোৰ যে চিএৰি আছোঁ - ধন ক'ত? এইবোৰ পৰিকল্পনা ব্যয়-সাপেক্ষ । জাতীয় ন্যাস পুঁজিৰ বাবে এক কোটি টকা সংগ্রহ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ইমান দিনে মাত্র ৰচ লাখমান টকাহে উঠিছে। অসমীয়া ভাষা-সাহিত্যক ভাল পোৱা এক কোটি মানুহে জনেপতি এটকাকৈ দিয়েই দেখোঁ এই জাতীয় ন্যাস পুঁজি সম্পূর্ণ কৰিব পাৰিলেহেঁতেন।

প্রশাসনীয়ভাৱেও বহুতো Restructure বা পুর্নগঠন কৰাৰ থল আছে। শাখাসমূহ আৰু দুটি কেন্দ্র গুৱাহাটী আৰু যোৰহাটৰ মাজত যোগাযোগৰ আসোঁৱাহৰ বাবেও কামবোৰত বহুতো বিলম্ব হোৱা দেখা যায়। শাখাসমূহৰ কার্যাৱলীত শুধৰণি আনিব লাগিব। শাখাসমূহক আৰু অধিক সক্রিয় কৰিব লাগিব।

আৰু এটা কথা। শ্রদ্ধেয় লক্ষ্যধৰ চৌধুৰী আৰু মই সিদিনা আলচ কৰি একমত হৈছোঁ যে এজন সভাপতি যোৱাৰ আৰু আন এজন অহাৰ মধ্যৱর্তী সোলোক-ঢোলোক অৱস্থা বৰ আমনিদায়ক আৰু বিপদজনক। কাম-কাজবোৰ ধাৰাবাহিকতাবিহীন হয়। সেয়ে অনুভৱ কৰা হৈছে যে অসম সাহিত্য সভাৰ বাবে এটি স্থায়ী ছেক্রেটৰিয়েট বা সচিবালয় লাগে। সেইটো বৈতনিক হ'ব লাগে। তেতিয়াহে প্রশাসনিক ধাৰাবাহিকতা থাকিব।

সময়ৰ অগ্রগতিৰ সৈতে অসম সাহিত্য সভাৰ পৰিসৰ বাঢ়ি গৈছে। ইমানবোৰ নতুন নতুন আঁচনি গ্রহণ কৰিব লগা হৈছে। ধন ক'ৰপৰা আহিব? ৰাইজ আৰু ৰাজ্যিক চৰকাৰৰপৰা। বুজিলোঁ। কিন্তু কেন্দ্রীয় চৰকাৰৰ এটা প্রতিশ্রুতি আছে। স্বর্গীয় ৰাজীৱ গান্ধীৰ সৈতে অসম ছাত্র সন্থা আৰু গণ সংগ্রাম পৰিষদৰ যিখন ঐতিহাসিক অসম চুক্তি হৈছিল, তাৰ ছ'ষ্ঠ দফাত কেইটামান প্রতিশ্রুতি আছিল। অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ পুনৰুদ্ধাৰ, সংগ্রহ আৰু ৰক্ষণাবেক্ষণৰ বাবে যুদ্ধকালীন ক্ষিপ্রতাবে আগুৱাবৰ কথা আছিল। ইয়াৰ বাবে ৰাজনীয় বিশেষ পুঁজি আগ বঢ়োৱাৰ কথা আছিল। জোৰ পুৰি হাত পালেহি। আজিয়েই সময়। আহক আমি এই হীৰক জয়ন্তীৰ পবিত্র দিনত এই ৰংপুৰ - ইমান সহস্র সহস্র ভাষা- সাহিত্যপ্রেমী ৰাইজৰ উপস্থিতিত, কেন্দ্রীয় চৰকাৰৰ ওচৰত দাবী কৰোঁ, যেন অসম চুক্তিৰ ছ'ষ্ঠ দফাত যি ধনৰ প্রতিশ্রুতি দিয়া হৈছিল - সেই প্রতিশ্রুতি আজিৰপৰা পালন কৰা হয়। সেই প্রতিশ্রুতি যেন প্রতিশ্রুতি হৈয়েই নেথাকে।

ভাৰতীয় ভাষাত প্ৰকাশিত গ্ৰন্থৰ বাৰ্ষিক পৰিসংখ্যালৈ চকু দিলেই অসমীয়া গ্ৰন্থৰ স্বল্পতাৰ বিষয়ে অনুমান কৰি ল'ব পাৰি। ভাল কিতাপৰ সংখ্যাই একোটা ভাষাৰ গুণগত উৎকৰ্ষ নিশ্চিতভাৱে প্ৰতিফলিত কৰে। অসমীয়া ভাষাত প্ৰকাশিত গ্ৰন্থৰ সংখ্যা হ্ৰাস পোৱাটো ভাষাটোৰ শুভাকাংক্ষীসকলৰ পক্ষে এটা উদ্বেগৰ কথা হৈ পৰিছে। অসমীয়া কিতাপৰ সংখ্যা বঢ়াবলৈ হ'লে পঢ়ুৱৈৰ সংখ্যা বাঢ়িবই লাগিব। আনহাতে পঢ়ুৱৈৰ সংখ্যা বঢ়াবলৈ পঢ়ুৱৈ-সমাজক ভিন ভিন বিষয়ৰ কিতাপৰ প্ৰতি আৰ্কষিত কৰিব লাগিব। পঢ়ুৱৈসকলৰ প্ৰয়োজনবিলাকৰ বিষয়েও জানি ল'ব লাগিব। তাৰ লগে লগে পাঠক-সমাজৰ ৰুচিবোধৰ উৎকৰ্ষ সাধনাৰ্থে লিখক আৰু প্ৰকাশক-গোষ্ঠীৰ সমন্বিত প্ৰচেষ্টাৰ আৱশ্যক হ'ব। লিখক-সাহিত্যিকসকলে নিজ নিজ ৰচনাৰ গুণমান সম্বন্ধে সজাগ হ'ব লাগিব। প্ৰকাশকসকলেও কেৱল ব্যৱসায়িক দৃষ্টিভঙ্গী গ্ৰহণ নকৰি ভাষাটোৰ প্ৰতি দায়বদ্ধতা স্বীকাৰ কৰি লোৱা বাঞ্ছনীয়। কি কি পদ্ধতি অৱলম্বন কৰিলে মানবিশিষ্ট অসমীয়া গ্ৰন্থৰ প্ৰকাশ বৃদ্ধি হয় সেই বিষয়ে সংশ্লিষ্ট সকলো পক্ষই ফলপ্ৰসূ চিন্তা আৰম্ভ কৰা উচিত। অসমীয়া গ্ৰন্থৰ প্ৰকাশকসকল সম্মুখীন হোৱা সমস্যাৱলীৰ সমাধানকল্পে সকলো পক্ষই সক্ৰিয় সহযোগিতা আগ বঢ়ালে তাৰ সুফল আগত বছৰবিলাকত নিশ্চয় পৰিলক্ষিত হ'ব। আমাৰ ভাষা-জননীক সেৱা কৰাৰ এই প্ৰচেষ্টাত ৰজাঘৰ-প্ৰজাঘৰ, লিখক, প্ৰকাশক, গ্ৰন্থ-বিক্ৰেতা আৰু সৰ্বোপৰি পাঠকসকলৰ আন্তৰিক সহযোগৰ প্ৰয়োজন হ'ব। চৰকাৰ-পক্ষই অসমীয়া গ্ৰন্থৰ প্ৰকাশত উদগনি যোগাবলৈ এইবোৰ ব্যৱস্থা ল'ব লাগিব বুলি মই ভাবোঁ।

- পাঠ্য পুথিৰ সমুদায় ব্যৱসায় চৰকাৰী প্ৰকাশন প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয় দুটিলৈ হস্তান্তৰিত হোৱাৰ ফলত অসমৰ প্ৰকাশকসকলৰ ব্যৱসায় বহু পৰিমাণে সঙ্কুচিত হ'ল। প্ৰাথমিক পৰ্যায়ৰপৰা বিশ্ববিদ্যালয়ৰ পৰ্যন্তলৈকে সকলো শ্ৰেণীৰ পাঠ্য পুথি প্ৰকাশ কৰি অসমৰ প্ৰকাশকসকলে যি লাভ আৰ্জিছিল, তাৰ আন আন বিষয়ৰ কিতাপ ছপাবলৈ যি সকলে সাহস কৰিব পাৰিছিল। পাঠ্য পুথিৰ বাদে অন্যান্য অসমীয়া কিতাপৰ বজাৰ আয়ৰ এক নিশ্চিত উৎস এতিয়াও হৈ উঠা নাই। উপাৰ্জনৰ এটি নিশ্চিত পথ থকা হেতু অন্যান্য কিতাপ প্ৰকাশ কৰিবলৈ আমাৰ প্ৰকাশকসকল পূৰ্বতে আগ বাঢ়ি আহিছিল। পাঠ্যপুথিৰ ব্যৱসায় কাঢ়ি লৈ যোৱাৰ পাছত তেওঁলোকে অন্যান্য অসমীয়া কিতাপৰ বজাৰৰ অনিশ্চয়তাৰ পৰা আঁতৰি থাকিবলৈ লৈছে। এই অৱস্থাটোৰ অৱসান ঘটাই অসমীয়া গ্ৰন্থৰ প্ৰকাশ বৃদ্ধি পাবৰ অৰ্থে, বেচৰকাৰী প্ৰকাশকসকলক পাঠ্য পুথিৰ ব্যৱসায় ঘুৰাই দিলেহে সুফল পোৱা যাব। পশ্চিম বঙ্গৰ সাম্যবাদী চৰকাৰেও এইদৰে বেচৰকাৰী প্ৰকাশকক পাঠ্য পুথিৰ ব্যৱসায় ঘুৰাই দিয়া দেখিছোঁ।

- ৰাজ্য চৰকাৰৰ অধীনস্থ গ্ৰন্থাগাৰ সেৱাৰ সকলো গ্ৰন্থাগাৰক গ্ৰন্থ ক্ৰয়ৰ উদ্দেশ্যে দিয়া অনুদান পৰ্যাপ্ত পৰিমাণে বৃদ্ধি কৰিব লাগে। ৰাজ্যৰ প্ৰতিখন জিলা আৰু প্ৰতিটো মহকুমাৰ সদৰত থকা পঞ্চাশটাকৈ অধিক গ্ৰন্থাগাৰৰ বাবে একোখন গ্ৰন্থৰ মাথোন এশকৈ কপিহে গ্ৰন্থাগাৰ সেৱাই ক্ৰয় কৰে। পুঁজিৰ অভাৱত এই সংখ্যা বৃদ্ধি কৰিব নোৱৰাৰ উপৰি অনেক আৱশ্যকীয় গ্ৰন্থ ৰাজ্যৰ গ্ৰন্থাগাৰ বিভাগে সংগ্ৰহ কৰিব পৰা নাই। প্ৰতিখন নিৰ্বাচিত গ্ৰন্থৰ অন্ততঃ এহেজাৰ কপিকৈ গ্ৰন্থাগাৰ সেৱাই ক্ৰয় কৰিব পৰাকৈ ৰাজ্য চৰকাৰে এই বিভাগটোৰ বাবে পৰ্যাপ্ত অনুদান দিয়া উচিত।

- ৰাজ্যিক গ্ৰন্থাগাৰ সেৱাই ক্ৰয় কৰিবলৈ অনুমোদন জনোৱা অসমীয়া গ্ৰন্থসমূহৰ বিতৰণ কেৱল জিলা আৰু মহকুমা পৰ্যায়ৰ গ্ৰন্থাগাৰকেইটাতে সীমিত নাৰাখি গ্ৰামাঞ্চলৰ ক্ষুদ্ৰ গ্ৰন্থাগাৰসমূহকো এইবিলাক গ্ৰন্থ যোগান ধৰিব লাগে। প্ৰকৃততে গ্ৰামীণ জনসাধাৰণক নগৰকেইখনত অৱস্থিত গ্ৰন্থাগাৰসমূহে সামৰি ল'ব নোৱাৰে। সেয়ে ৰাজহুৱা উদ্যোগত গঢ় লৈ উঠা পঠন কেন্দ্ৰ আৰু গাওঁলীয়া পুথিভৰালবিলাকক চৰকাৰী অনুদানৰ জৰিয়তে উৎসাহিত কৰা বাঞ্ছনীয়।

- সৰ্বসাধাৰণৰ মাজত অধ্যয়নৰ অভ্যাস ব্যাপক কৰি তুলিবৰ অৰ্থে পুঁথিভৰাল আন্দোলনটোক ন ৰূপ দিব লাগে। ইয়াৰ সহায়ক ব্যৱস্থা হিচাপে প্ৰতি বছৰে এটা নিৰ্দিষ্ট সপ্তাহ 'পুথিভঁৰাল সপ্তাহ' ৰূপে পালন কৰি এক প্ৰচাৰ অভিযান চলাব লাগে।

- অসমীয়া ভাষাৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থৰ বেচৰকাৰী প্ৰকাশকক এটি নগদ পুৰস্কাৰেৰে বছৰি পুৰস্কৃত কৰাৰ ব্যৱস্থা ৰাজ্য চৰকাৰে প্ৰবৰ্তন কৰা উচিত। এনে এটি পুৰস্কাৰে প্ৰকাশকক মানবিশিষ্ট অসমীয়া গ্ৰন্থ প্ৰকাশ কৰিবলৈ উদগনি যোগাব। তদুপৰি পুৰস্কাৰৰ ৰূপত লাভ কৰা ধনেৰে নতুন প্ৰকাশন আঁচনি ৰূপায়িত কৰিবলৈ বল পাব। এই পুৰস্কাৰৰ মূল্য সেই কাৰণে কম পক্ষেও এক লাখ টকা হ'লে ভাল।

- অসমীয়া আৰু অসমৰ অন্যান্য ধলুৱা ভাষাৰ কিতাপ ছপাবৰ বাবে প্ৰকাশকসকলক সুলভ মূল্যৰ কাগজ যোগানৰ

ব্যৱস্থা কৰিব লাগে । কাগজৰ মূল্য সীমিত কৰিবলৈ প্ৰয়োজন হ'লে ৰাজসাহায্য (Subsidy) দিয়াৰ ব্যৱস্থা কৰা উচিত হ'ব।

অসমৰ ৰাজধানী শিলঙত এৰি আহিব লগীয়া হোৱাত ৰাজ্যৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰটোও তাতে ৰৈ গ'ল। তদৰ্থ ব্যৱস্থা হিচাপে গুৱাহাটী জিলা গ্ৰন্থাগাৰটোকে কেন্দ্ৰীয় গ্ৰন্থাগাৰ বুলি কোৱা হ'ল যদিও ইয়াৰ আয়তন আৰু অন্যান্য প্ৰয়োজনীয় সা-সুবিধা বৃদ্ধি নহ'ল। সম্প্ৰতি এটা কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ অভাৰ স্থায়ী হৈ পৰিবৰ উপক্ৰম কৰিছে। সকলো আধুনিক সা-সুবিধা থকা এটি কেন্দ্ৰীয় গ্ৰন্থাগাৰ এনেভাৱে নিৰ্মাণ কৰি তুলিব লাগে, যাতে ই সমগ্ৰ পূৰ্বোত্তৰ অঞ্চলৰ ভিতৰতে সৰ্ববৃহৎ আৰু সুসজ্জিত গ্ৰন্থাগাৰ হৈ উঠে।

ৰাজ্যৰ মহাবিদ্যালয় আৰু বিদ্যালয়সমূহলৈ গ্ৰন্থ-অনুদান বৃদ্ধি কৰিব লাগে। তাৰ লগতে গ্ৰন্থাগাৰ আৰু অধ্যয়ন-কক্ষ নথকা শিক্ষানুষ্ঠানসমূহক গ্ৰন্থাগাৰ নিৰ্মাণৰ বাবে পুঁজি যোগানৰ ব্যৱস্থা হ'ব লাগে।

দেশৰ চলচ্চিত্ৰ উদ্যোগৰ উন্নয়নৰ অৰ্থে চলচ্চিত্ৰ বিত্ত নিগম স্থাপনৰ আৰ্হিত, গ্ৰন্থ প্ৰকাশন বিত্ত নিগম স্থাপনৰ প্ৰস্তাৱ অসম চৰকাৰে বিবেচনা কৰি চাওক। এনে এটি প্ৰতিষ্ঠানৰ সুফল সম্বন্ধে সন্দেহৰ অৱকাশ নাই।

অসমত মুদ্ৰণ - প্ৰযুক্তি- বিষয়ক এটি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন কৰিব লাগে। মুদ্ৰণ-প্ৰযুক্তিৰ বিকাশে গ্ৰন্থ-উদ্যোগটোৰ বিকাশ-প্ৰক্ৰিয়াকো ত্বৰান্বিত কৰিব।

অসমৰ মুদ্ৰণ উদ্যোগৰ শ্ৰীবৃদ্ধিৰ অৰ্থে স্থানীয় মুদ্ৰণ প্ৰতিষ্ঠানসমূহক চৰকাৰী আৰু বেচৰকাৰী প্ৰকাশকসকলে পৃষ্ঠপোষকতা কৰা বাঞ্ছনীয়। ৰাজ্যৰ মুদ্ৰণ উদ্যোগটো পূৰ্ণ বিকশিত হৈ উঠিলে গ্ৰন্থ প্ৰকাশৰ অনেক সমস্যা আঁতৰ হ'বৰ আশা আছে। ইয়াৰ ফলত গ্ৰন্থ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বহুতো অন্তৰায় দূৰ হ'ব। নহ'লে আজিৰ প্ৰস্তাৱ প্ৰস্তাৱ হৈয়েই থকাৰ সম্ভাৱনা।।

এইবাৰৰ সভাৰ সভাপতি নিৰ্বাচন হোৱাৰ ঠিক তেৰ দিন পাছতেই - অথাৰ্ৎ ৫ আৰু ৬ ডিচেম্বৰ ৯২ ত অসম সাহিত্য সভাৰ সৈতে জনগোষ্ঠীয় সাহিত্য সভাসমূহৰ কি সম্বন্ধ হ'ব সেই সমস্যাবলী খৰচি মাৰি বিশ্লেষণ কৰা হৈছিল। সেই কথা ইয়াত আলচ কৰা ভাল হ'ব। সেই আলোচনী সভাত তিৰা সাহিত্য সভাৰ সাধাৰণ সম্পাদক নাৰায়ণকুমাৰ ৰাদু কাকতীয়ে ১৯৮৯ চনৰপৰা কাৰ্যক্ষেত্ৰত সক্ৰিয় হোৱা 'ভাষা সমন্বয় মঞ্চ। অসম'ৰ জৰিয়তেই অসমৰ বিভিন্ন ভাষা-সাহিত্যৰ অনুষ্ঠানে সম্মুখীন হৈ অহা সমস্যাৰ সমাধান কৰাত গুৰুত্ব আৰোপ কৰাৰ লগতে অসমৰ সামাজিক সমন্বয়ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী পদক্ষেপ কিছুমান অচিৰেই লোৱা উচিত বুলি মন্তব্য কৰে। দেউৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নৃপেন দেউৰীয়ে দেউৰী ভাষাই বৰ্তমানে পাই অহা সমস্যাৰ কথা উল্লেখ কৰি এই ক্ষেত্ৰত যুটীয়া উদ্যোগ কিছুমান লোৱাত গুৰুত্ব দিয়ে। বিশিষ্ট ৰাভা সাহিত্যিক ৰাভা সাহিত্য সভাৰ সভাপতি হৰিমোহন সৰকাৰে কয় যে জনগোষ্ঠীয় ভাষা- সংস্কৃতিৰ বহু দিশ আজিও অনুদঘাটিত হৈয়ে আছে। সেই সমূহ উদ্ধাৰৰ কাৰণে যত্ন কৰিলেহে অসমৰ সামাজিক সমন্বয় প্ৰকৃতাৰ্থত সম্ভৱ। আজি দেখা দিয়া বিভিন্ন সমস্যাৰ সমাধানো ইয়াৰ মাজতে নিহিত হৈ থকা বুলিও তেওঁ ভাবে।

সভাত মণিপুৰী সাহিত্য পৰিষদৰ কাৰাম ইৰুংহল, মাৰ লিটাৰেৰী ছ'চাইটিৰ ভি এল জোটে, বিশিষ্ট মিচিং সাহিত্যিক ভৃগুমুনি কাগয়ুং, গণেশ পেগু, ইন্দ্ৰেশ্বৰ পেগু আদিয়ে বিভিন্ন ধৰণৰ বক্তব্য আগ বঢ়ায়। আলোচনা-চক্ৰৰ অন্যান্য আলোচক হিচাপে বিশিষ্ট বুদ্ধিজীৱী উদয়াদিত্য ভৰালী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক উপেন ৰাভা হাকাচাম, ডঃ এন্ ছানাজৱা আৰু মধুৰাম বড়ো প্ৰমুখ্যে সকলোৱে আলোচনাত ভাগ লৈছিল।

সঞ্চালকৰ ভাষণত ডঃ অমলেন্দু গুহই কয় যে আজিৰ পৰিস্থিতিয়ে অসমৰ সমাজ-জীৱনৰ বিকাশত ভিন্ন ধৰণৰ প্ৰভাৱ পেলাইছে বাবে আজিৰ পৰা এটা বা দুটা শতিকাৰ সৈতে ইয়াৰ বিভিন্ন ক্ষেত্ৰত ভিন্নতা পৰিদৃষ্ট হোৱাটো একো অসম্ভৱ কথা নহয়। তথাপিও বহল মন একোটা লৈ আমি কাৰ্যক্ষেত্ৰত নামিব পৰাটোৰেই ভৱিষ্যতৰ বাবে সমৃদ্ধিশালী অসম এখন নিৰ্মাণৰ ক্ষেত্ৰত মহত্তম পদক্ষেপ হ'ব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য জিতেন্দ্ৰনাথ দাসে কয় যে প্ৰতিটো জনগোষ্ঠীৰ ভাষা, সাহিত্য, সংস্কৃতিৰেই সমবিকাশ হ'ব লাগিব আৰু পাৰস্পৰিক সমন্বয়ৰ মাজেদি প্ৰত্যেকে আগ বাটি যাব লাগিব।

সমন্বয়ৰ ঐতিহাসিক ধাৰাক প্ৰতিহত কৰিবলৈ চলা সকলো ধৰণৰ প্ৰচেষ্টাৰ বিৰুদ্ধে আজি অসমৰ প্ৰতি জনগোষ্ঠীয়

সমাজে ঐক্যবদ্ধভাবে ৰূম কৰি যোৱা উচিত। অন্যথাই আমাৰ সকলোৰে ভবিষ্যতেই অন্ধকাৰ হৈ পৰিব।

সভাপতি লক্ষ্যধৰ চৌধুৰীদেৱে কয় যে সুকীয়া সুকীয়া ভাষা-সংস্কৃতিৰ বিকাশৰ বাবে চেষ্টা কৰাৰ লগতে উমৈহতীয়া কার্যসূচী গ্রহণ কৰিলেহে প্রকৃতার্থত ঐক্য-সংহতি সাধন হোৱাটো সম্ভৱ হ'ব।

বিশিষ্টা শিক্ষাবিদ শ্রীমতী ইন্দিৰা মিৰিয়ে কয় যে অসমৰ জনজাতীয় সমাজৰ দুখ-ক্লেশৰ মোচন কৰিবলৈ হ'লে তেওঁলোকৰ প্রকৃত প্রতিচ্ছবি লিখকসকলে তুলি ধৰাটো নিতান্ত যুগুত। বিশিষ্ট গৱেষক ডঃ প্রমোদচন্দ্র ভট্টাচার্য আৰু বিশিষ্ট সাংবাদিক কনকসেন ডেকাই নিজৰ নিজৰ ইতিবাচক বিশ্লেষণ দাঙি ধৰে। বড়ো সাহিত্য সভাৰ সম্পাদক বিনেশ্বৰ ব্রহ্মই অসম সাহিত্য সভাৰ এই উদ্যোগক আদৰণি জনায়। উত্তৰ কাছাৰৰ শ্রীমতী নিৰুপমা হাগজেৰ, বিশিষ্ট সাহিত্যিক ৰাজেন ৰাভায়ো এই কার্যত উদগনি দিয়ে। সমাৰোহৰ প্রথম বৈঠক হিচাপে আয়োজন কৰা অসমৰ 'জনগোষ্ঠীয় কবিতা' বিষয়ক সভাখনি সঞ্চালনা কৰে প্রাক্তন সভাপতি নৰকান্ত বৰুৱাই। অনুষ্ঠানত সোতৰগৰাকী বিভিন্ন ভাষাৰ কবিয়ে অংশ গ্রহণ কৰে। বিয়লি জনগোষ্ঠীয় সাধুকথা-বিষয়ক বৈঠকখনি সঞ্চালনা কৰে বিশিষ্ট জনজাতীয় সাহিত্যিক ৰাজেন ৰাভাই।

সমাৰোহ উপলক্ষে অনুষ্ঠিত 'জনগোষ্ঠীয় লোকগীত' শীর্ষক বৈঠকখনি সঞ্চালনা কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ মুৰব্বী অধ্যাপক ডঃ বীৰেন্দ্রনাথ দত্তই আৰু এই বৈঠকৰ বিষয়ে আলচ আগ বঢ়ায় পূর্বাঞ্চল টাই সাহিত্য সভাৰ সাধাৰণ সম্পাদক চাও পুস্প গগৈদেৱে।।

এই দুদিনীয়া সমাৰোহ প্রতিনিধিত্বমূলক হৈছিল। ইয়াত দাঙি ধৰা প্রস্তাৱকেইটিত আমি সন্মানেৰে সন্মতি জনালোঁ- আজি এই পৱিত্র দিনত।

প্রথম ঃ অসমৰ সকলো জনগোষ্ঠীয় ভাষা-সংস্কৃতিৰ ঐতিহ্য আছে। এই ঐতিহ্যক স্বীকাৰ কৰাটো আজিৰ পৰিস্থিতিত ঐতিহাসিক কর্তব্য। অসমৰ সকলো জনগোষ্ঠীৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সমবিকাশৰ জৰিয়তেহে অসম আৰু অসমীয়া জাতিৰ শ্রীবৃদ্ধি সাধন হ'ব।

দ্বিতীয় ঃ আলোচনা প্রসঙ্গত বিভিন্ন জনগোষ্ঠীয় ভাষাৰ গ্রন্থৰ বৈজ্ঞানিক সংৰক্ষণ, বিস্তৃত গৱেষণা আৰু প্রকাশৰ ক্ষেত্রত সকলো প্রকাৰৰ ব্যৱস্থা গ্রহণত গুৰুত্ব আৰোপ কৰা হয়। এক ঐতিহাসিক পৰিস্থিতিয়ে উত্তৰ-পূর্বাঞ্চলৰ সংযোগী ভাষা হিচাপে প্রতিষ্ঠিতি কৰা অসমীয়া ভাষাৰ শ্রীবৃদ্ধি কৰাৰ স্বার্থতেই এই কার্য অতীব জৰুৰী বুলি সমাৰোহত ঐক্যমত প্রকাশ কৰা হয়।

সামাজিক ইতিহাসৰ গৱেষক পণ্ডিত ডঃ অমলেন্দু গুহৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এই আলোচনা- চক্রত পূর্বাঞ্চল টাই সাহিত্য সভাৰ সম্পাদক চাও পুস্প গগৈয়ে কয় যে অসমৰ জনগোষ্ঠীয় ভাষা-সংস্কৃতিৰ বিষয়ে বিস্তৃত চর্চাৰ বাবে যথাবিহিত ব্যৱস্থা গ্রহণ কৰিব লাগে।

তাৰ পিছত এই সমাৰোহত দুটা ডাঙৰ সিদ্ধান্ত লোৱা হয়। এটা হ'ল - ১৯৮৯ চনত গৃহীত 'ভাষা সমন্বয় মঞ্চঃ অসম' সর্বসম্মতিক্রমে মানি লোৱা হয়।

আৰু এটি প্রস্তাৱ গৃহীত হয়ঃ এই প্রস্তাৱমতে, অসম চৰাকাৰলৈ বুলি দাবী এটি উত্থাপন কৰা হয়। জনগোষ্ঠীয় যিমান সাহিত্য সভা সাহিত্য পৰিষদ আৰু সংগঠন পঞ্জীবদ্ধ (Registered) হৈছে সেই সমূহক, এই বছৰৰপৰা অর্থাৎ ১৯৯২-১৯৯৩ চনৰপৰা, সেই সেই ভাষা আৰু সাহিত্যৰ উন্নয়নৰ বাবে, সাহায্য আৰু গ্রাণ্টৰূপে প্রত্যেকখনকে দুইলাখ টকাকৈ দিয়া হওক।

এই প্রস্তাৱত চহী কৰিছে- শ্রীবিনেশ্বৰ ব্রহ্ম, সম্পাদক, বড়ো সাহিত্য সভা; শ্রীখগেনচন্দ্র দেউৰী, দেউৰী সাহিত্য চ'ৰা; শ্রীনাৰায়ণকুমাৰ ৰাদুকাকতী, তিৰা সাহিত্য সভা; চাও পুস্প গগৈ, পূর্বাঞ্চল টাই সাহিত্য সভা; শ্রীনৃপেন দেউৰী, দেউৰী সাহিত্য সভা, শ্রীৰতনকুমাৰ ৰায় হাজং, হাজং সাহিত্য সভা; ডঃ এন্ ছনাজৰা, মণিপুৰী সাহিত্য পৰিষদ।

গতিকে এইখন সামূহিক দলিল বুলি আমি নির্ভীকভাবে ধৰি লৈ অসম চৰকাৰলৈ বুলি আৱেদন কৰিলোঁ ইয়াক কার্যত পৰিণত কৰিবলৈ।এই প্রসঙ্গতে সাংবিধানিক স্বীকৃতিৰ বাবে সংগ্রাম কৰি অহা কেইবাটাও ভাৰতীয় ভাষাৰ ভিতৰত ভাৰত চৰকাৰে ইতিমধ্যে অনুসূচীভুক্ত কৰা নেপালী, মণিপুৰী আৰু কোঙ্কনী ভাষাক অসম সাহিত্য সভাৰ হৈ আন্তৰিক অভিনন্দন

জনালোঁ।

এই সকলোৰে গ্ৰহণ কৰি লোৱা ভাষা সমন্বয় মঞ্চৰ কাৰ্যাবলী ত্বৰান্বিত কৰিবলৈ আজিয়ে আমি পণ লোৱা উচিত বুলি বিবেচনা কৰা হৈছে। এই আঁচনি অকল আচঁনি হ'লেই নহ'ব। এই অধিবেশনত একগোট হোৱা সকলোৰে বুকুত হাত দি সমন্বয়ৰ ফালে আগুৱাই যাব লাগিব। মই আজি আপোনাসৱৰ সেৱকৰূপে ঘোষণা কৰিব খুজিছোঁ - যি কাৰণতেই নহওক নবীন সাহিত্যিকসকল অসম সাহিত্য সভাৰপৰা কিছু আঁতৰি আঁতৰি থকাৰ কথা মই জানো। হে মোৰ নবীন লিখক আৰু লিখিকাসকল, আহক আপোনালোকেই, অসম সাহিত্য সভাখন ন-কৈ সজাওক।

মই আজি এহেজাৰ যুৱক-যুৱতী, সাহিত্য-কৰ্মী, সংস্কৃতি-কৰ্মী বিচাৰিছোঁ - এটি বাহিনীৰ বাবে। এই এহেজাৰ স্বেচ্ছাসেৱক-সেৱিকা, সকলো জাতি-ভাষা-গোষ্ঠীৰ আৰু জনগোষ্ঠীয় সাহিত্য সভাৰ সৈতে জড়িত লোক হ'ব লাগিব। যেনে বড়ো সাহিত্য সভা, মিচিং সাহিত্য সভা, কার্বি সাহিত্য সভা, নেপালী সাহিত্য সভা, মণিপুৰী সাহিত্য সভা, ৰবাকৰ সাহিত্য সভা প্ৰমুখ্যে আন আন ভাষা-গোষ্ঠীৰপৰা আহিব লাগিব এই বাহিনীৰ কৰ্মীবৃন্দ। আজিৰপৰা এটা বছৰ, অসমৰ মানচিত্ৰখন চাই সমন্বয়ৰ কৰ্মশালা য'তেই লাগে বুলি চিহ্নিত হয় তাতেই কৰ্মশালাৰ ছাউনি পাতি ভাষা সমন্বয় মঞ্চই কাম ত্বৰান্বিত কৰিব পাৰিব - সাহিত্য-সৃষ্টিৰ মাজেৰে। আৰ্থ-সামাজিক উন্নয়নৰ প্ৰকল্প যেনে - কৃষি-পাম, কুটিৰ-শিল্প, ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প আদিৰ ওচৰতে যদি পোৱা হয়, সেই স্থানৰ নিকট স্থানত সাহিত্য কৰ্মশালা পাতি কবিতা কৰ্মশালা, লোকসাহিত্য কৰ্মশালাৰ পৰিকল্পনা ল'ব পাৰিব। কৌটিকলীয়া এনাজৰী, য'তেই ছিগি যাব খুজিছে তাতে পুনর্নিমাণ কৰিবলৈ তালৈকে আন্তৰিকতাৰে লৰৰি যাব এই বাহিনী। প্ৰতি স্বেচ্ছাসেৱক- সেৱিকাৰ মন হ'ব লাগিব উদাৰ - সমন্বয়ৰ জৰী সবল কৰাৰ অৰ্থে সকলো প্ৰকাৰৰ দলগত ৰাজনৈতিক আৰু সম্প্ৰদায়িক চিন্তা আৰু স্বাৰ্থৰ ঊৰ্ধত থাকি কাম কৰিবলৈ সাজু থাকিব লাগিব এই বাহিনী - জীৱনৰ স্ৰোত বন্ধ কৰি দিয়া ৰাজনৈতিক বিস্ফোৰণ বা ৰাজনৈতিক 'বন্ধ' অথবা কার্ফুৰ কবলত পৰা ভয়াবহ স্থানতো আমাৰ এই বাহিনীয়ে শিশুক দুগ্ধ বিতৰণকাৰী বা ৰে'ডক্ৰছৰে দৰে মুমূৰ্ষ জনক নিশ্বাস ওভতাই দিয়াৰ দৰে নিস্বাৰ্থ সেৱা কৰাৰ দৃষ্টিভঙ্গী থাকিব লাগিব - এনে এক পৰিস্থিতিত -

সুখ নাই দুখ নাই
একো যেন নাই।
হাঁহি নাই
চকুৰো অশ্রু শুকায়।।
নৈ আছে পানী নাই
সৰু বৰ টো নাই
জীয়াই থকাৰ নাই
অকণো জোৱাৰ
ঘড়ীৰ কাঁটা নাই
সময়ৰ গতি নাই
সময়ে বগৰাব নোৱাৰে হেঙাৰ,
সময়ও দেখোঁ আজি
ভাগি ছিগি যায়।।
এই ভয়াবহ ক্ষণে
নিহত প্ৰতিজনে
গলি যোৱা আইনাত
মুখবোৰ চায়,
কাৰ নীতি কেনি যায়

পৰিণতি একো নাই
মৃত্যুৰে দিনে-ৰাতি
পাশা খেলি যায়;
সুন্দৰতা আজি ত্ৰাসতে পলায়।।

এই বাহিনীৰ নামকৰণ কৰিছোঁ— সমন্বয় বাহিনী— এই সমন্বয় বাহিনীৰ দৃষ্টিভঙ্গী হ'ব— মানৱতাবাদ আৰু শান্তি অস্ত্ৰ হ'ব জি ইউ এন্ Gun নহয় -

- গদ্য কবিতা আৰু গান। সমসাময়িক সংঘাত হওক জীৱনৰ জ্যোতিপ্ৰপাত - তাৰেই গান হওক ধন্য, হওক সমৱেত কণ্ঠ অগণ্য -

- ধ্বংসমুখী দৃষ্টিভঙ্গী
কিম্বা মনোমালিন্য
সেয়া নহয় মোৰ গানৰ লক্ষ্য
লক্ষ্য - শান্তি অনন্য -

এই বাহিনীয়ে সমাজক আস্থা দান কৰিব লাগিব - গান হওক বহু আস্থাহীনতাৰ বিপৰীতে এক গভীৰ আস্থাৰ গান -

শেষত কৃষ্টিৰ পথাৰে পথাৰে আজীৱন ঘু�ৰি পোৱা কেইটামান অনুভূতিৰ কথা কৈ আপোনাসৱৰ পৰা বিদায় মাগিম। সুলিখিত ৰচনা মাত্ৰেই সাহিত্য নহয়, যেনেকৈ সুলিখক মাত্ৰেই সাহিত্যিক নহয়। সুলিখকৰ আত্মদৰ্শন নঘটিলেও হয়, কিন্তু সাহিত্যিকৰ বাবে ই অপৰিহাৰ্য। সাহিত্যিকে স্ব-কালৰ সত্যক অন্বেষণ কৰি চিৰকালৰ সত্যক স্পৰ্শ কৰে। সেই কাৰণেই আৱশ্যক হয় ঘটনাৰ নিখুঁত নিৰ্বাচন আৰু ঘটনাৰ গভীৰত থকা সত্যৰ যথাৰ্থ উন্মোচন। যথাৰ্থ সাহিত্যিক পণ্য ফেৰি কৰি নুফুৰে। তেওঁ সৰ্ব অৰ্থত দায়বদ্ধ সত্য আৰু সামাজিক দায়ৰ প্ৰতি। সু-সাহিত্যিকে 'লিখা লিখা খেলোঁ আহাঁ' বুলি সত্যৰ ফালে পিঠি দি, নেখেলে তেওঁলোকে, যি চকুৰ আগত দেখে তাকে ৰঙে-চঙে-ঢঙে সজাই নিলিখে।

আজিৰ সময় - ভীষণ অ-সৰল সময়। এই সময়ত সাহিত্য অকল সময় কটাবৰ কাৰণেই নে? নহয়। অকল ক্লান্তি কমাবৰ বাবেই নে? নহয়। অথচ অসমত অধিকভাগ 'সাহিত্য' এই পথসমূহেৰে ছেদেলি-ভেদেলি হৈ ধাৱমান হৈছে যেন লাগে। বিচ্ছিন্ন, অসম্পূৰ্ণ, অসুস্থ মানসিকতাৰে বিভ্ৰান্ত মানৱাত্মাক সুস্থতা যাচিব লাগে সাহিত্যই। ই হ'ব লাগে উত্তৰণৰ পাথেয়। সাহিত্যিকে দাসত্ব নেমানে। তেওঁ এক বনস্পতি - সদৃশ -ঋতুত বিৱৰ্তিত হৈও, নিজত্বত অটল।

জীৱন দুখৰ মাজেৰে, সৌন্দৰ্যৰ মাজেৰে, ধ্বংস আৰু সৃষ্টিৰ মাজেৰে আৱহমান কাল চলি আহিছে, প্ৰতিদিনে চলিছে, ইয়াৰ যেন শেষ নাই ।—

জীৱনটোনো কিমান পৰ? কেইটামান মুহূর্ত, কেইটামান প্ৰহৰ — । কিন্তু কি বিশাল অনিঃশেষ সৌন্দৰ্যৰ মাজেৰে সেই মুহূৰ্ত, সেই প্ৰহৰ আহিছে ৰূপৰ মাজেৰে, মাধুৰ্যৰ মাজেৰে - সিঁতে যেন চিৰস্মৰণীয় হ'বলৈ ক্ষুধাৰ হাত পাতি আছে। সেই মুহূৰ্ত হয়তো আহেও শেষো হৈ যায়, কিন্তু মাধুৰ্যৰতো শেষ নাই। সেই মুহূৰ্তকে নাট্যকাৰে নাটকেৰে, চিত্ৰকৰে তুলিকাৰে, গীতিকাৰে গীতেৰে, নৃত্যবিদে নৃত্য-মুদ্ৰাৰে, কবিয়ে কবিতাৰে চিৰদিনৰ বাবে সৃষ্টিত বন্দী কৰি ৰাখে। সেয়েই সংস্কৃতি। গতিকে সাহিত্য আৰু সংস্কৃতি বা কবিতা আৰু গীত জানো বৰ লগা-ভগা নহয়?

ভাষা যেনেকৈ কেইটামান আখৰ নহয়,
সাহিত্য যেনেকৈ কেইটামান বাক্য নহয়,
গৱেষণা যেনেকৈ সাঁচিপাতৰ ধূলি জোকাৰি চপোৱা
কাৰ্যই নহয়,
সংস্কৃতিও তেনেকৈ কেইটিমান গীত আৰু নৃত্য
নহয় !

সংস্কৃতি এটি জীৱন-দৃষ্টি। এই জীৱন-দৃষ্টি নহ'লে সাহিত্যই কঢ়িয়াব কি? ৰবীন্দ্ৰনাথ ঠাকুৰে জনৈক কবিলৈ লিখিছিল -

" ওৰাতো সব পথেৰ মানুষ
তুমি পথেৰ ধাৰেৰ।"
(সিহঁততো সকলো বাটৰুৱা
তুমি বাটৰ দাঁতিৰ।)

আজিৰ সঁচা আধুনিক গীতিকাৰেও ঠিক তেনেকৈ জীৱনৰ বাটৰ দাঁতিত থিয় হৈ চিৰপ্ৰবহমান সামূহিক বা ব্যক্তিগত মানৱ গতিক নিৰীক্ষণ কৰি গীতেৰে প্ৰকাশ কৰে। পিছে আজিৰ গীতিকাৰে বাটৰ দাঁতিত অকল থিয় নহৈ মাজে মাজে জীৱনৰ বাটৰুৱাৰ সৈতে লৰৰি ধাৱমান কথিকা বা Running Commentary ও কৰিব লাগিব। সচাঁ আধুনিক গীত সৃষ্টিয়ে মানৱতাক বিশ্বাস কৰে। জনজীৱনৰ প্ৰতীকেৰে মানৱাত্মাক স্পৰ্শ কৰিব খোজে।

মানৱতাবাদী, গণতন্ত্ৰত বিশ্বাসী সাহিত্যিক ৱাল্ট্ হুইট্মেনৰ এই কথাখিনি আমাৰ আজি বৰ ভাল লাগে - "Music is above all things the art the common men"(সঙ্গীত জনসাধাৰণৰ কলা)" If we have no musicall soul of our own how can we appreciate the manifestation of the musical soul of others?"

(আমাৰ যদি সুৰীয়া আত্মা নেথাকে আমি আনৰ সুৰীয়া আত্মাক বুজিম কেনেকৈ?)

আজিৰ অসমৰ সংস্কৃতিৰ নৱ আন্দোলনে, নৱ অভ্যুত্থানে স্বকীয় প্ৰকাশেৰে জ্যোতিস্মান হৈ, সৰ্বভাৰতীয় হৈ, সৰ্বভাৰতীয় সংস্কৃতিলৈ বৰঙণি যোগাই, বিশ্বৰ সংস্কৃতিৰ আকাশৰ তৰাৱলীৰ এটি উজ্জ্বল তৰা হওক - এয়েই বুকুৰ কামনা। এয়েই কলিজাৰ সুৰ। আমাৰ মনত এয়েই অসমৰ সুন্দৰৰ ন দিগন্ত, যি দিগন্তৰ পিনে আমি সকলোৱে আজিৰ বিজ্ঞানৰ যুগত ক্ষিপ্ৰ গতিৰে লৰৰি গৈছোঁ।

মোৰ গান হওক
বহু বাধাৰ প্ৰাচীৰৰ বিপৰীতে
এক তীব্ৰ গতিৰেই গান
মোৰ গান হওক
বহু আস্থাহীনতাৰ বিপৰীতে
এক গভীৰ আস্থাৰ গান
মোৰ গান হওক
কল্পনা-বিলাসৰ বিপৰীতে
এক সত্য প্ৰশস্তিৰ ধ্যান
মোৰ গান হওক
বহু আস্থাহীনতাৰ বিপৰীতে
এক গভীৰ আস্থাৰ গান।।
মোৰ কথা ধৈর্য ধৰি শুনাৰ বাবে
আপোনাসৱলৈ মোৰ
শতকৌটি নমস্কাৰ।।

-- * --

ষষ্ঠিতম অধিবেশন

মবিগাওঁ : ৭ ফেব্রুবাবী ১৯৯৪ খ্রীষ্টাব্দ

ড° লীলা গগৈ

অভ্যর্থনা সমিতিব সভাপতি প্রমুখ্যে উদ্যোক্তাসকল, অসম সাহিত্য সভাব মাননীয় প্রাক্তন সভাপতি মণ্ডলী, বিশিষ্ট অতিথিবর্গ, সমবেত সুধীমণ্ডল, আইসকল আৰু ছাত্র-ছাত্রীসকল। যিসকল লোকে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আৰু জাতিগঠনত আত্মনিয়োগ কবোঁতে প্রাণ আহুতি দিলে, সেইসকলব পবিত্র আত্মাব প্রতি প্রণিপাত জনাই শ্রদ্ধাঞ্জলি জ্ঞাপন কবিলোঁ।

অসম সাহিত্য সভা অসমব জাতীয় জীবনব একমাত্র জাতীয় অনুষ্ঠান, যি সুদীর্ঘ তিনিকুবি সোতব বছব জুবি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিব কাণ্ডাবি আৰু জাগ্রত প্রহবীৰূপে কাম কবি আহিছে। তাকে কবিবলৈ অসমব জ্ঞানী, গুণী, প্রতিভাশালী লোকসকলক নির্বাচিত কবা হৈছিল সভাপতিৰূপে। যিসকল মহৎ লোকে এই গৌবৱমণ্ডিত আসনখনি অলঙ্কৃত কবি গৈছে; তেনে আসনখনি অলঙ্কৃত কবাব যোগ্যতা মোব নাই; মই এজন সাহিত্য সভাব তৃণমূল পর্যায়ব কর্মী হে। যোৱা দুকুবি বছব ধবি বিভিন্ন পর্যায়ত মই সাহিত্য সভাব কাম কবি আহিছোঁ। আজি অসম সাহিত্য সভাব শাখা সভাসমূহে সাহিত্য সভাব দায়িত্ব আৰু কর্তব্য পালন কবিবলৈ আগবঢ়াই দিয়াত মই সদৌটিলৈকে আন্তবিক কৃতজ্ঞতা আৰু শলাগ জনাইছোঁ। আৰু অসম সাহিত্য সভাব নিয়মাবলী মানি কাম কবি যাবলৈ সংকল্প গ্রহণ কবিছোঁ।

১৮২৬ চনব ইয়াণ্ডাবু সন্ধিব চর্ত্ত অনুসবি ইংবাজে অসমীয়া মানুহব মুখব ভাত কাঢ়ি নিয়াব দহ বছবব পাছত এদিন কিছুমান স্বার্থান্বেষী মানুহব প্রবোচনাত অসমব স্কুল-আদালতব পবা অসমীয়া ভাষাকো নিষ্ঠুবভাবে নির্বাসন দিয়া হ'ল। ঐতিহ্যপূর্ণ অথচ এই চহকী ভাষাটোক লাঞ্ছিত কবি উন্নতি আৰু বিকাশ প্রতিহত কবা হ'ল। সুদীর্ঘ একুবি ষোল বছব সংগ্রামব পাছত পুনব প্রতিষ্ঠিত হ'লেও ভাষা-সাহিত্যব বিকাশব গতি পাছ পবি গ'ল। সেইবাবেই এদিন গঢ় লৈ উঠিল অসমীয়া ভাষা উন্নতিসাধিনী সভা। ১৮৮৬ চনত কলিকতাত উচ্চশিক্ষা লবলৈ যোৱা জাতীয় আদর্শত উদ্বুদ্ধ জনচেবেক ডেকাই এই অনুষ্ঠানটিব পাতনি তবিছিল। এদিন এই ডেকাসকলব যত্ন আৰু প্রচেষ্টাতে 'জোনাকী' কাকতব জন্ম হৈছিল। বিংশ শতিকাব প্রথম দশকতে অসমীয়া ভাষা উন্নতিসাধিনী সভাব ঠাইত সদৌ অসম জুবি এখন সাহিত্য সভাব প্রয়োজনীয়তা অনুভব কবিবলৈ ধবিলে। ১৯১৪ চনতে গুবাহাটীব অঃ ভাঃ উঃ সাঃ সভাতে সাহিত্য সভা গঠন কবিবলৈ এক শক্তিশালী চেষ্টা চলোৱা হৈছিল। কিন্তু মুবকত হৈ নুঠিল। ১৯১৫ চনত গুবাহাটীব অঃ ভাঃ উঃ সাঃ সভাতে অসম সাহিত্য সম্মিলন নামেবে এটি নতুন সংগঠনব জন্ম দি বঙ্গীয় সাহিত্য সম্মিলনত যোগ দিবলৈ প্রতিনিধি পঠোবাব যো-জা চ লিছিল কিন্তু, আনুষ্ঠানিকভাবে প্রতিনিধি পঠোৱা নহল যদিও, জনচেবেক ডেকাই বঙ্গীয় সাহিত্য সম্মিলনত যোগ দিছিল। পিছব বছবত গুবাহাটীত অনুষ্ঠিত অসম ছাত্র সম্মিলনব নাম অসমীয়া ছাত্রব সাহিত্য সম্মিলনহে বাখিব খোজা হৈছিল। ছাত্রসকলব এই উদ্যম দেখি বয়োজ্যেষ্ঠসকল অনুপ্রাণিত হ'ল আৰু ১৯১৭ চনব অসম এছোচিয়েশ্যনব অধিবেশনব লগতে অসমব সাহিত্যিকসকলব এখনি অধিবেশন পাতিবলৈ সিদ্ধান্ত গ্রহণ কবিলে। সমান্তবালভাবে যোবহাটতো এখন সাহিত্য সভা স্থাপন কবিবলৈ যো-জা কবিছিল। কিন্তু ১৯১৭ চনব ২৬ ডিচেম্বৰব দিনা অসম সাহিত্য সভাব জন্ম হ'ল। জন্ম লগতেই ই অসম সাহিত্য সভা, অসমীয়া সাহিত্য সভা নহয়। তেতিয়াব দিনত

অসমীয়া ভাষাৰ, অসমীয়া সাহিত্যৰ সৃজনশীলতা বৃদ্ধি কৰাৰ লক্ষ্য আৰু আদৰ্শ যেনেকৈ প্ৰথম আছিল, তেনেকৈ বাংলা ভাষাৰ অবাঞ্ছনীয় প্ৰভাৱৰ প্ৰতি সচেতন লোকসকল সদাসতৰ্ক আছিল।

আজি অসম সাহিত্য সভাই তিনিকুৰি সোতৰ বছৰত ভৰি দিছেহি। আজি অসম সাহিত্য সভাৰ গতি, প্ৰকৃতি আৰু পৰিসৰৰ অনেক পৰিৱৰ্তন হৈছে। তেতিয়া এমুঠিমান লেখক সাহিত্যানুৰাগী, ভাষাপ্ৰেমী লোকে বছৰেকৰ মূৰত সমবেত হৈ ভাবৰ আদান-প্ৰদান ঘটাইছিল আৰু অসমীয়া ভাষাৰ উন্নতি আৰু বিকাশৰ অৰ্থে নিষ্ঠাৰে আলোচনা কৰি পদক্ষেপ গ্ৰহণ কৰিছিল। দেখা যায়, অসমৰ বৌদ্ধিক জীৱনৰ সকলো মূৰ-জিলিকা ব্যক্তিয়েই সাহিত্য সভাৰ মজিয়াত এদিন উপস্থিত হৈছিল আৰু ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে বৰঙণি আগবঢ়াইছিল। সাহিত্য সভাৰ প্ৰথম বছৰ কেইটাত আৰু পাৰ হৈ যোৱা শতিকাটোত অসমীয়া ভাষাই সম্মুখীন হোৱা সঙ্কটৰ আতঙ্ক সততে সজীৱ হৈ আছিল। তথাপি বাৰ্ষিক অধিবেশনৰ সময়ত সকলোটি অসমীয়া প্ৰাণ সদস্য সমবেত হৈ সাহিত্য-বিনোদন কৰাৰ উপৰিও অসমৰ জাতীয় সমস্যাৰ বিষয়ে গভীৰভাৱে আলোচনা কৰিছিল। ১৯৫০ চনৰ মাৰ্ঘেৰিটা অধিবেশনলৈকে অসম সাহিত্য সভাই লাহে লাহে গা-কৰি উঠিছিল। দ্বিতীয় মহাসমৰে এক কঠিন পৰিস্থিতিৰ সৃষ্টি কৰিছিল যদিও অসমত সেই পৰিস্থিতিৰ উপশম ঘটিল আৰু সভাই দোপতদোপে আগবাঢ়ি যাবলৈ ধৰিলে। এই দুকুৰি তিনি বছৰৰ ভিতৰত সভাই পোনপটীয়া সংঘাতৰ সম্মুখীন হ'ল। প্ৰথম ৰাজ্যভাষা, দ্বিতীয় শিক্ষাৰ মাধ্যম আৰু তৃতীয় অসম আন্দোলন। তেতিয়াৰে পৰা সাহিত্য সভাৰ দায়িত্ব আৰু কৰ্তব্য অধিক বাঢ়িল।

অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আৰু জাতীয়তাৰ স্বাৰ্থ-স্বত্ব সংৰক্ষণ আৰু বিকাশৰ অৰ্থে অসম সাহিত্য সভাই অকলশৰীয়াকৈ কাম কৰি আহিছে। অসমীয়া ভাষা, সংস্কৃতি আৰু জাতীয়তা যেতিয়া বিপন্ন হৈছে, তেতিয়া কেৱল সাহিত্য সভাই দৃঢ়তা আৰু নিভীকতাৰে মাত মাতি আহিছে।

অসম সাহিত্য সভা অসমৰ সবাতোকৈ পুৰণি সামাজিক সাংস্কৃতিক অনুষ্ঠান। অ-ৰাজনৈতিক চৰিত্ৰ বজাই ৰাখি এই অনুষ্ঠানটোৱে ভাষা-সংস্কৃতিক সংৰক্ষণ আৰু বিকাশৰ অৰ্থে কাম কৰি আহিছে। ইয়াৰ লক্ষ্য আৰু আদৰ্শ মুলতে ভাষা-সাহিত্যৰ বিকাশ সাধন কৰাই আছিল যদিও আজি সাহিত্য সভাৰ কামৰ পৰিসৰ বৃদ্ধি পাইছে। আজি এটা স্তৰত অসমীয়া জাতিৰ অস্তিত্ব বিপন্ন হবলৈ ওলাইছে। অসমীয়া জাতিক বিচ্ছিন্নতামুখিতাই গ্ৰাস কৰিবলৈ ওলাইছে, ফলত অসমীয়া ভাষী ঘৰতে সংখ্যালঘু হবৰ উপক্ৰম হৈছে। অসমীয়া কোনো নিৰ্দিষ্ট জনগোষ্ঠীৰপৰা উদ্ভুত জাতি নহয়। অসমৰ সকলো জাতি-গোষ্ঠীৰ সমন্বয়ত গঢ় লৈ উঠিছে অসমীয়া জাতি সত্ত্বা।

ত্ৰয়োদশ শতিকাত পাটকাই পাৰ হৈ আহিছিল এজন ৰজা আৰু এদল মানুহ। ব্ৰহ্মপুত্ৰৰ উপত্যকাত তেওঁ বিলাকে লগ পাইছিল মৰাণ, ৰৰাহী, কছাৰী, চুতীয়া, কাৰ্বি, টিৱা, বাৰভুঞা, কোচ, মিচিং আৰু নগাসকল। লগতে আছিল আহোমসকল, ব্ৰাহ্মণ, কায়স্থ, কলিতাসকল। প্ৰতিটো জাতিয়ে নিজৰ নিজৰ ধ্যান-ধাৰণা, ধৰ্ম-সংস্কৃতি আৰু ৰাজ্যক্ষেত্ৰ লৈ বসবাস কৰি আছিল। কাৰো লগত কাৰোৱেই হিংসা-ঈৰ্ষা নাছিল। এনে সময়তে পশ্চিমৰপৰা মোগল-পাঠান শক্তিয়ে এবাৰ নহয়, দুবাৰ নহয় সোতৰবাৰকৈ ব্ৰহ্মপুত্ৰৰ উপত্যকাত আক্ৰমণ চলালে— লুইতৰ পাৰৰ সাৰুৱা মাটি, হাতী, সোণ আৰু অগৰু-কাঠৰ লোভত। ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোনো এটা জাতিয়েই সেই প্ৰবল পৰাক্ৰমী আক্ৰমণকাৰীৰ বিৰুদ্ধে থিয় দিবলৈ সামৰিক ক্ষমতা নাছিল। ঐক্য আৰু সংহতি অবিহনে বিকল্প নাছিল। আহোমসকলৰ সামৰিক নেতৃত্বত লুইতৰ পাৰৰ এই জনগোষ্ঠীসমূহ স্বতঃস্ফূৰ্তভাৱে ঐক্যবদ্ধ হ'ল। কোনেও কাকো বাধ্য কৰা নাছিল। সেই সময়তে শঙ্কৰদেৱে সামাজিক-সাংস্কৃতিক জীৱনত "নাহি ভকতিত জাতি-অজাতি বিচাৰ" আদৰ্শত জাতি-গঠনৰ যি প্ৰক্ৰিয়া চলালে তাৰেই পৰিণতি স্বৰূপে এক সম্মিলিত জাতি-সত্ত্বা গঢ় লৈ উঠিল। সেয়ে অসমীয়া জাতি-সত্ত্বা। দেশ যেতিয়া বিপন্ন হৈছিল, দেশৰ অস্তিত্ব যেতিয়া শত্ৰুৰ গৰাহত পৰিবৰ উপক্ৰম হৈছিল, তেতিয়াই জন্ম হৈছিল অসম আৰু অসমীয়া জাতিসত্ত্বাৰ। আজিও অসমীয়া ভাষী তথা অসম-বাসীৰ ভাষা-সাহিত্য-সংস্কৃতি আৰু অস্তিত্বৰ সঙ্কট আহিছে। ইতিহাসৰপৰা শিকনি লৈ আজি পূৰ্বৰ ঐক্য-সংহতি ৰক্ষা কৰাৰ উপৰিও অধিক সজাগ-সচেতন হৈ দূৰদৰ্শিতাৰে আগ বাঢ়িব লাগিব।

অসমীয়া ভাষা কোনো নিৰ্দিষ্ট জনগোষ্ঠীৰ নিজৰ ভাষা নহয়। এই ভাষাৰ জন্ম আৰু ক্ৰমবিকাশৰ ইতিহাসে দেখুৱাইছে

যে এই ভাষা অসমৰ সমূহ ভাষা-ভাষী মানুহৰ মুখৰ ভাষাৰ উপাদানেৰে গঢ় লৈ উঠিছে। অসমীয়া ভাষা আজি আৰ্যমূলীয় বুলি জনাজাত হলেও ভাষাৰ বিন্যাস আৰু বিশ্লেষণত অনেক থলুৱা অনাৰ্যমূলীয় উপাদান পোৱা যায়। এসময়ত ব্ৰহ্মপুত্ৰৰ উপত্যকাত বসবাস কৰা জনগোষ্ঠীসমূহে পাৰস্পৰিকভাৱে কোনেও কাৰো ভাষা বুজি নেপাইছিল। ফলত তেওঁবিলাকক এটা সংযোগী ভাষাৰ একান্ত প্ৰয়োজন হৈছিল। তেনেকৈয়ে ব্যৱহাৰিক প্ৰয়োজনত এই ভাষাটোৰ জন্ম হৈছিল। অসমীয়া নাম পোৱাৰ হেজাৰ বছৰৰ আগৰপৰাই এই ভাষাটোৰ ব্যৱহাৰ হৈছিল, তাক আমি প্ৰাক-অসমীয়া নামাকৰণ কৰিব পাৰোঁ। এই ভাষাটো সহজবোধ্য, ব্যাকৰণ-অভিধানৰ অনুশাসন নাছিল। নিজৰ নিজৰ গাঁৱত নিজৰ নিজৰ মাতৃভাষাৰ ব্যৱহাৰ হলেও বাহিৰলৈ ওলাই আহিলেই অসমীয়া ভাষা ব্যৱহাৰ কৰিছিল। এই ভাষা কোনেও কাৰো ওপৰত কেতিয়াও জাপি দিয়া নাছিল। অসমৰ মূল ভূমিখণ্ড, নগালেণ্ড, অৰুনাচলৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় সীমাৰেখাৰ সিপাৰেও এই ভাষা চলে। আজি অসমীয়া ভাষা আৰু লিপিৰ বিৰুদ্ধে কোনো কোনো ক্ষেত্ৰতে ধ্বনি উঠিলেও সেই ধ্বনি ঐতিহাসিক কাৰণতে এদিন মাৰ যাব। যি ব্যৱহাৰিক কাৰণত আৰ্য্য-অনাৰ্য সকলো মূলৰ উপাদান মিহলি হৈ এই ভাষাটোৰ জন্ম হৈছিল, সেই কাৰণতে ই সংযোগী ভাষা হিচাপে জীয়াই থাকিব।

ৰাজনীতিৰ চতুৰ পাশা খেলুৰৈয়ে জাতি আৰু ভাষাক পাশা-খেলৰ গুটি হিচাপে লৈ কূট-কৌশল প্ৰয়োগ কৰি জাতিটোক ভাঙি খণ্ড-বিখণ্ড কৰি ৰাজনৈতিক ন্যস্ত স্বাৰ্থ পূৰণ কৰিবলৈ যত্ন কৰিছে। এই কূট কৌশলৰ ফুট ধৰিব পাৰিব লাগিব আৰু সদাসতৰ্ক হৈ থাকিব লাগিব।

ত্ৰিশৰ দশকৰ পৰাই সাহিত্য সভাই ৰচনাত্মক কামৰ পাতনি তৰে। অশেষ ত্যাগ আৰু কষ্টৰ মাজেদি 'চন্দ্ৰকান্ত অভিধান' প্ৰকাশ কৰে। কেইখনমান প্ৰাচীন পুথি উদ্ধাৰ কৰি তেতিয়াৰ দিনতে প্ৰকাশ কৰিছিল। মাজতে বহুচেৰেক নীৰৱ হৈ থকাৰ পিছত এখন-দুখনকৈ তিনিশৰো অধিক পুথি ছপা হৈ ওলায়। কেন্দ্ৰীয় সাহায্যত প্ৰকাশিত 'শিশু জ্ঞান কোষ', কেইবাখনো বহুমূলীয়া গ্ৰন্থাৱলী, 'পবিত্ৰ অসম', 'অসমৰ জনজাতি', 'জনজাতীয় সাধু' 'অসমীয়া জাতিৰ ইতিবৃত্ত', 'শ্ৰীহস্তমুক্তাৱলী' আদি বুজন গ্ৰন্থৰ উপৰিও মজলীয়া আকাৰৰ বহুতো পুথি ছপা হৈ ওলাইছে। অসম সাহিত্য সভাই এখন অভিধানো প্ৰকাশ কৰিব নোৱাৰা বুলি তোলা অভিযোগটো আচলতে সঁচা নহয়। সেইদৰে অসমৰ বিভিন্ন জনজাত আৰু চাহ-মজদুৰৰ মানুহ আৰু সংস্কৃতিৰ বিষয়েও যথেষ্ট সংখ্যক পুথি প্ৰকাশ কৰিছে। সাহিত্য সভাই প্ৰকাশ কৰা বিস্তৃত পুথি-তালিকাখন পৰীক্ষা কৰি অধিক পুথি নিৰ্বাচনৰ অৰ্থে ৰচনাত্মক পৰামৰ্শ আগবঢ়ালে অসম সাহিত্য সভা নিশ্চয় উপকৃত আৰু সুখী হ'ব।

অনুষ্ঠান একোটা একে ৰাতিৰ ভিতৰতে কাঠফুলা গজাদি গজি উঠিব নোৱাৰে। বহুজনৰ চেষ্টা, শ্ৰম, ত্যাগ, আশা আৰু আশাগুধীয়া প্ৰচেষ্টাৰ বলতহে অনুষ্ঠানটো গঢ় লৈ উঠে। অসম সাহিত্য সভাৰ ক্ষেত্ৰতো এই কথা খাটে। অনুষ্ঠানটোৰ গতিপথত নিশ্চয় ঘাত-প্ৰতিঘাত, খুন্দা-খুন্দলি খাব পাৰে, ত্ৰুটি-বিচ্যুতি ঘটিব পাৰে; তাৰো নিশ্চয় সংশোধনৰ ব্যৱস্থা আছে। তদুপৰি অনুষ্ঠান এটা সামজিক-সাংস্কৃতিক জীৱনৰ ব্যতিক্ৰম নহয়। আজি আমাৰ জীৱনৰ মূল্যবোধ সলনি হৈছে, নৈতিকতাৰ বিচ্যুতি ঘটিছে, ক্ষয়িষ্ণু মানৱতাবোধৰ বিক্ষিপ্তিৰে মানুহৰ মন অস্থিৰ হৈছে। এনে যুগৰ সমাজত বাস কৰা মানুহৰ মনৰ প্ৰতিফলন সামাজিক-সাংস্কৃতিক অনুষ্ঠানতো ঘটিব। স্বাভাৱিকতেই কিছুমান মানুহে অনুষ্ঠানত ত্ৰুটি-বিচ্যুতি দেখিলে সমালোচনা কৰিবই। সময়, সমস্যা আৰু পৰিস্থিতিৰ লগত সঙ্গতি ৰাখি অনুষ্ঠানটোৰ পুনৰ্বিন্যাস ঘটাব লাগিব। ইয়াৰ বাবে লাগিব এচাম আশাগুধীয়া কৰ্মী আৰু নেতা। সাহিত্য সভাৰ যি ঐতিহ্য আৰু পৰম্পৰা, ই ত্যাগৰ আদৰ্শতে গঢ় লৈ উঠিছে। সাহিত্য সভা মূলতে সৰল, অনাড়ম্বৰ অনুষ্ঠান। জনসাধাৰণৰ সহজ আকৰ্ষণ আৰু আন্তৰিক সহযোগিতাই ইয়াক কোনো কোনো ক্ষেত্ৰত আড়ম্বৰপূৰ্ণ অনুষ্ঠানলৈ পৰিণত কৰিছে।

সঁচা কথা অসম সাহিত্য সভাই কোনো সৃজনীশীল সাহিত্য সৃষ্টি কৰিব আৰু কৰোৱাব নোৱাৰে, কিন্তু সাহিত্য সৃষ্টিৰ অৰ্থে প্ৰেৰণা যোগাব পাৰে। ৰচিত সাহিত্যৰ সঠিক মূল্যায়ন কৰি অধিক অনুপ্ৰেৰণা সৃষ্টি কৰিব পাৰে। সাহিত্য-সভাই ন-পুৰণি উভয় শ্ৰেণীৰ লেখকৰ বাবেই প্ৰতিযোগিতাৰ আয়োজন কৰি প্ৰতিভাশালী লেখকক স্বীকৃতি দিয়াৰ আৰু পুৰস্কাৰ কৰাৰ দিহা কৰিছে। আজি নবীন লেখক-লেখিকাসকলে স্বীকৃতি বিছাৰিছে। সাহিত্যত ৰচনাৰ দৃষ্টভঙ্গীৰে নবীন আৰু প্ৰবীণ বুলি দুটা সীমাৰেখা থাকিব নোৱাৰে। লেখক বা কবি নবীন হলেও ৰচনাত যদি প্ৰচুৰ সম্ভাৱনা থাকে, মৌলিক অথচ অনন্য হলে সি

স্বতঃস্ফূর্ত্তভাৱে স্বীকৃতি পাবই, মাথোন লাগে লেখকৰ আন্তৰিকতা, একাগ্রতা, সাধনা আৰু প্রতিভা। সাহিত্য সভাই আজি স্বীকৃতি দিলেও তেওঁৰ সৃষ্টিশীল সুঁতিটো যদি তৰাং পৰি যায়, তেতিয়া জানো সাহিত্যৰ বুৰঞ্জীৰ গতি অব্যাহত হৈ থাকিব?

অসমৰ সাহিত্য-সংস্কৃতিৰ ইতিহাস আৰু ইয়াৰ ভেটিটো গজগজীয়া। সেয়েহে অসমৰ সাহিত্য-সংস্কৃতিৰ পৰিবেশ বর্ণাঢ্য আৰু জীৱনীকাৰক। বহুতো ভাৰতীয় মানুহতকৈ অসমৰ মানুহৰ মন সংস্কৃতি আছে। আমাৰ ইতিহাসত পুৰণি সম্পদ আছে, সমল আছে, সাহিত্য আছে আৰু সংস্কৃতি আছে। পুৰণিৰ বুকুত ভৰি দি মানুহে নতুন সৃষ্টিৰ প্রেৰণা লাভ কৰিছে। অসম সাহিত্য সভাৰ নিচিনা জনমুখী অনুষ্ঠান ভাৰততে দ্বিতীয় এখন নাই। অসম সাহিত্য সভাৰ লগত জনসাধাৰণৰ গভীৰ নাড়ীৰ সম্পর্ক আছে বাবেই, এই অনুষ্ঠান এটি মহৎ জাতীয় অনুষ্ঠানলৈ পৰিণত হৈছে। এই অনুষ্ঠানৰ বিষয়ববীয়া আৰু কর্মীসকল যদি আশাশুধীয়া, সৎ, চিন্তাশীল আৰু জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ কামত আত্মনিয়োগ কৰে, এই অনুষ্ঠান দোপতদোপে আগবাঢ়ি গৈ থাকিব।

উনবিংশ শতিকাৰ তৃতীয়-চতুর্থ দুয়োটা দশকেই অসমীয়া সাহিত্য-সংস্কৃতিৰ ইতিহাসৰ সঙ্কটৰ সময়। এই সঙ্কটৰ পৰিপ্রেক্ষিতত সৃষ্টি হোৱা পৰিস্থিতিৰ আজিও উপশম হোৱা নাই। দেখাত বাহ্যিক বিকাশ আৰু আড়ম্বৰ দেখা গ'লেও মুল আত্মিক স্বৰূপৰ ক'ৰবাত আঙ্গিক বিজুতি ঘটিছে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছত ডেভিড স্কটে পুৰণি পৰম্পৰা ভাঙি দি পাইক-প্রথা তুলি দিলে আৰু বিনিময় প্রথাৰ উচ্ছেদ ঘটাই বিত্ত-অর্থনীতি প্রয়োগ কৰিলে। তিনি মাহ গা-খাটি বিনা খাজনাই মাটি খোৱা প্রথা উঠি গ'ল। প্রজাসাধাৰণে টকাৰে খাজনা দিবলগীয়া হ'ল। দেৱোত্তৰ, ব্রহ্মোত্তৰ, নানকাৰ, পীৰপাল আদিতো খাজনা লাগিল। খাজানাত মাৰি ইংৰাজ কোম্পানীয়ে সোণ-ৰূপ, অয়-অলঙ্কাৰ, মুগাসূতা, মুগা কাপোৰ, এৰীসূতা-এৰীকাপোৰ ক্রোক কৰি লৈ গ'ল। দেশত চলি থকা শিল্প আৰু কুটিৰ-উদ্যোগসমূহ বন্ধ হৈ গ'ল। নতুন আৰু পুৰণিৰ সংঘাত আৰম্ভ হ'ল। সৃষ্টি হ'ল সংস্কৃতিৰ সঙ্কট। দ্বিতীয়তে আহিল ভাষাৰ সঙ্কট। এই দুয়োটা সঙ্কটেই অসমৰ সংস্কৃতিশীল জীৱনলৈ ৰঘুমলাৰ আমদানি কৰিলে। শান্ত, সুষম, জাতীয় সংস্কৃতিৰ পথাৰত বিজতৰীয়া কিছুমান ঘাঁহ-বন গজিবলৈ ধৰিছে। বুজাক বুজাৰা ঠাৰে-চিএাৰে। দ্বিতীয় আৰু সাম্প্রতিক সঙ্কট আহিছে তিনিটা অপৰিহার্য বস্তুৰপৰা। এই কেইটা হৈছে ঃ আধুনিক শিক্ষা, নাগৰিকীকৰণ আৰু ঔদ্যোগিক বিকাশ আৰু ইলেকট্রনিক মাধ্যম। অসমৰ পুৰণি সংস্কৃতিৰ সমৃদ্ধি আৰু ইয়াৰ সংৰক্ষণৰ বিষয়ে চৰকাৰো সচেতন নহয়; ৰাইজো সচেতন নহয়। আধুনিক শিক্ষাই আমাক শিক্ষিত কৰিছে সঁচা, কিন্তু মানৱতাৰ গুণেৰে সমৃদ্ধ আৰু সংস্কৃত কৰিব পৰা নাই। আধুনিক শিক্ষাই মন আধুনিক চিকচিকিয়া কৰিছে, কিন্তু পুৰণি সংস্কৃতিৰ ঐশ্বর্য্য-প্রাচুর্য্য উপলব্ধি কৰিবলৈ শিকোৱা নাই, ফলত সংস্কৃতিৰ সঙ্কট উদ্ভৱ হৈছে। আমাৰ সাক্ষৰতাৰ শতকাৰা হাৰ বৃদ্ধি পালেও সংস্কৃতিৰ উৎকর্ষ সাধন হোৱা নাই। সেইদৰে মুল সংস্কৃতি আছিল গ্রাম্য-কৃষি-সংস্কৃতি। বিংশ শতিকাৰ মাজভাগলৈকে অসমখন আছিল এখন ডাঙৰ গাঁও। বিংশ শতিকাৰ মাজভাগৰপৰা খৰতৰ গতিৰে নগৰ আৰু নগৰীয়া আর্হিৰ ঠাই সৃষ্টি হবলৈ ধৰিলে। মুল সংস্কৃতিৰপৰা বিচ্ছিন্ন এক কৃত্রিম পৰিবেশে নগৰবোৰ ছানি ধৰিলে। গ্রাম্য, কৃষি সংস্কৃতিৰপৰা বিচ্ছিন্ন হৈ এই নগৰীয়া মানুহবোৰে পুৰণি ঐতিহ্যক বাস্তৱ অর্থত ভেঙুচালি কৰিবলৈ লৈছে আৰু প্রাচীন সংস্কৃতিৰ সংৰক্ষণ বিকাশৰ প্রতি ভাবুকি স্বৰূপ হৈ উঠিছে। তৃতীয়তে গঢ় লৈ উঠিছে উদ্যোগ আৰু উদ্যোগ নগৰী। অতিমাত্রা ব্যস্ততা আৰু জীৱন ধাৰণৰ পথ সলনি হোৱাৰ লগে লগে উদ্যোগ নগৰীত ব্যস্ত মানুহৰ সাংস্কৃতিক গতি-প্রবাহো সলনি হৈছে। আগতে উৎসৱ-পার্বন অনুষ্ঠিত হৈছিল কৃষি আৰু গাঁৱলীয়া মানুহৰ অৱসৰৰ সময়ত। কিন্তু আজি অনুষ্ঠানৰ আয়োজন হয় শনি-দেওবাৰৰ হিচাপত; কর্তৃপক্ষৰ দয়া-দাক্ষিণ্যৰ ওপৰত। উদ্যোগে বস্তুবাদী হিচাপত দেশৰ প্রগতি আৰু আর্থিক উন্নতি ঘটালেও বাস্তৱ অর্থত আমাৰ সাংস্কৃতিক জীৱনৰ বিষম অপকাৰ সাধন কৰিছে। সেইদৰে দেশত বাঢ়ি অহা ইলেট্রনিক মাধ্যমসমূহে লোক-কলা আৰু লোক-সংস্কৃতিক আঘাত কৰিছে। নগৰীয়া আৰু ঔদ্যোগিক মানসিকতাই ইলেকট্রনিক মাধ্যম বা সৱঞ্জাম আদিক অধিক উৎসাহিত কৰাৰ উপৰিও গাঁৱলীয়া কৃষকেও ইলেকট্রনিক মাধ্যমক আদৰি লৈছে। ওপৰত উল্লেখ কৰি অহা সমলসমূহ আটায়েই প্রত্যক্ষ ভাৱেই হওক বা পৰোক্ষভাৱে হওক, সংস্কৃতিৰ সঙ্কট চপাই আনিছে। ই আমাৰ জীৱন আৰু সংস্কৃতিত ইমান সূক্ষ্মভাৱে প্রবেশ কৰিছে যে গভীৰভাৱে অনুধাৱন নকৰিলে ধৰাই টান। আমাৰ ভাষা, সাহিত্য, সংস্কৃতি সকলোতে সাম্প্রতিক সামাজিক-সাংস্কৃতিক মননশীলতাৰ প্রতিফলন ঘটিছে। ভাষাত

আবাঞ্ছিত ঠাঁচ বা ভুল শব্দ আৰু ক্রিয়াৰূপৰ প্ৰবেশ পৰিছে। সাহিত্যত বিদেশী সাহিত্যৰ উপাদান সোমাইছে অথচ জীণ যোৱা নাই। চাওঁতে চাওঁতে সমস্ত সাংস্কৃতিক পৰিবেশত প্ৰাচীন সৌন্দৰ্য আৰু সুষমা হেৰাই গৈছে।

আজি জীৱনৰ মূল্যবোধ হেৰাই গৈছে, সলনি হৈছে। এসময়ত অভাৱ-অনাটনৰ মাজতেই নৈতিক জীৱন-যাপন কৰি মানসিক উৎকৰ্ষ সাধনৰ কথা চিন্তা কৰিছিল কিন্তু আজিকালি সৎ-অসৎ যিকোনো পন্থাৱে ধন-সম্পদ আহৰণ কৰাটোৱেই এক শ্ৰেণী মানুহৰ লক্ষ্য আৰু আদৰ্শ হৈ পৰিছে। সেই শ্ৰেণীৰ মানুহে সমাজত প্ৰতিষ্ঠা লাভ কৰি প্ৰতিপত্তি দৰ্শাবলৈ আৰম্ভ কৰিছে। চকুৰ আগতে অৰ্থনৈতিক পন্থাৱে মানুহক মানুহে শোষণ, নিষ্পেষণ কৰি মানৱতাক হেয় কৰিছে।

সাহিত্য যদি সামাজিক সাংস্কৃতিক জীৱনৰ প্ৰতিফলন হয়, সাহিত্যিকো যদি তেনে এখন সমাজৰেই একোজন ব্যক্তি হয়, তেন্তে সমাজ-জীৱনৰ কথা অভিব্যক্ত হবই। কিন্তু আজিৰ সমাজ অসমতা, ঈৰ্ষা, হিংসা আৰু অৰ্থনৈতিকতাৰ ডাৱৰে ছানি পেলাইছে। অসমৰ সমাজ-জীৱনত নোহোৱা-নোপোজা নাৰী-নিৰ্যাতন, ধৰ্ষণ , হিংসা আৰু অশালীনতা দেখা গৈছে। অসমৰ পৰ্বত-ভৈয়াম উভয়তে নাৰীৰ মূল্য আছিল অধিক। কিন্তু আজি নাৰীৰ শিক্ষা বৃদ্ধি পালেও সামাজিক মৰ্যদাৰ অৱমূল্যায়ন ঘটিছে। আমাৰ সাহিত্যত আমাৰ সমাজজীৱনৰ হুবহু প্ৰতিচ্ছবি এখন ফুটি উঠা নাই। গতানুগতিক জীৱনক লৈ সাহিত্য সৃষ্টি হৈ আছে। চুবুৰীয়া ভাষা-সাহিত্যৰ অধ্যয়ন আৰু চৰ্চাই অৱচেতন মনত এনে গভীৰভাৱে সাঁচ বহুৱাইছে যে শব্দ, বাক্যাংশ পৰ্য্যন্ত অনুকৰণ কৰি দুই-চাৰিজন লেখক কৃতাৰ্থ হয়। অসমীয়া ভাষা যথাৰ্থতে অতি উন্নত আৰু চহকী ভাষা। এই ভাষাৰ অভিব্যক্তি-প্ৰকাশক গুণ বহুতো ভাষাতকৈ উচ্চ খাপৰ। অসমীয়া মানুহৰ মন, সমাজ, মানৱতা-বোধ প্ৰকাশ কৰিবৰ জোখাৰে আমাৰ শব্দ-সম্ভাৰ আছে। লাগে মাথোন আমাৰ লেখকৰ আন্তৰিকতা, মননশীলতা আৰু গভীৰ অনুসন্ধিৎসা। অতীতত আমাৰ সাহিত্যত উচ্চ আদৰ্শনিসৃত সাহিত্য সৃষ্টি হৈছিল, আজিও সৃষ্টি হব। মাথোন জীৱনক গভীৰভাৱে উপলব্ধি কৰিব লাগিব। চীনা দাৰ্শনিক কনফুছিয়াচে কৈছিল, বিশ্বখন সংস্কাৰ কৰি গঢ়াৰ আগতে, নিজৰ দেশখন গঢ়িব লাগিব। দেশখন গঢ়াৰ আগতে পৰিয়ালবোৰ সংস্কাৰ কৰিব লাগিব। পৰিয়ালবোৰ সংস্কাৰ কৰাৰ আগতে আমি নিজে নিজে সংস্কৃত হব লাগিব। আমি বিশ্বজনীন আদৰ্শত উদ্বুদ্ধ হৈ বিশ্ব-সাহিত্য সৃষ্টি কৰাৰ ধ্বনি তোলাৰ আগতে দেশ আৰু জাতিৰ আত্মাৰ পৰিচয় লৈ জাতীয় সাহিত্য সৃষ্টিত সফল হব লাগিব।

সংস্কৃতি হ'ল এটা জাতিৰ জীৱনৰ ধাৰা। এখন বোৱতী নৈৰ ধৰ্মই হ'ল জীয়া সংস্কৃতিৰো ধৰ্ম। নৈৰ সোঁত নিৱৰচ্ছিন্ন। কিন্তু বৈ যোৱা এসোঁতা পানী কাহানিও উলটি নাহে; নতুন এসোঁতা পানী আহিব কিন্তু নৈখন বৈ থাকে নিৱৰচ্ছিন্ন গতিৰে। সংস্কৃতিৰ গতিও একেই। নৈৰ পাৰত খহনীয়া হয়, বিপৰীতে চাপৰি পৰে। যোগ-বিয়োগৰ ধৰ্ম মানি লৈ সংস্কৃতিৰ সুঁতি বৈ যায়। নানান কাৰণে সংস্কৃতিৰ বিকাশ ঘটায়, সমন্বয়ৰ সৃষ্টি কৰে আৰু নতুনৰ পাতনি তৰে। কিন্তু নৈখনে সুঁতি সলনি কৰি মৰিসুঁতি সৃষ্টি কৰিলে যেনেকৈ অস্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি হয়, তেনেকৈয়ে মূল সংস্কৃতিৰ স্বৰূপকে যেতিয়া পৰিৱৰ্তন ঘটাবলৈ কিছুমান উপচক্ৰই আৰম্ভ কৰিছে, সেই সময়ত সংস্কৃতিৰ সঙ্কট সৃষ্টি হৈছে বুলিয়েই কব লাগিব। সাহিত্য আৰু সংস্কৃতিৰ অঙ্গাঙ্গী সম্পৰ্ক।

এইবেলি সভাৰ কথালৈ আহোঁ। সভাই সময়ে সময়ে বহুতো আঁচনি গ্ৰহণ কৰি আহিছে আৰু তাৰে কিছুমানে ৰূপায়িত হোৱা নাই। এইবাৰে সাহিত্য সভাৰ আঁচনি আৰু খতিয়ানৰ পুনৰীক্ষণ কৰা উচিত। কি পটভূমিত আঁচনি গ্ৰহণ কৰা হৈছিল, কি ঘটনাচক্ৰত আধৰুৱা হৈ ৰ'ল বা সমূলঞ্চে বাদ পৰিল তাৰ বিচাৰ হোৱা উচিত। তদুপৰি হৈ যোৱা কামবোৰ আত্ম-বিশ্লেষণ আৰু আত্ম-সমালোচনা হোৱা উচিত। সঁচা কথা, অসমৰ জনসাধাৰণে বিচৰা মতে আমি যদি কাম কৰিব পৰা নাই, কিয় পৰা নাই, কেনেকৈ পাৰিম, তাৰ বিচাৰ-বিশ্যাস কৰিব লাগে। দেখাত আমি বহুতো পুথি ছপা কৰিছোঁ, কিন্তু সেইবোৰৰ মূল্যায়ন কৰি সময়ৰ পৰিপ্ৰেক্ষিতত তাৰ প্ৰয়োজন বা চাহিদা কিমান তাৰ আজি পুনৰমূল্যায়ন হব লাগে।

অসম সাহিত্য সভাৰপৰা অসমৰ জনসাধাৰণে আশা কৰা কেইটামান বস্তু হ'ল ঃ এখন প্ৰামান্য অথচ বিস্তৃত অভিধান, এখন প্ৰামাণ্য ব্যাকৰণ, এখন বিস্তৃত অথচ প্ৰামাণ্য অসম বুৰঞ্জী, এখন অসমীয়া জাতি আৰু সংস্কৃতিৰ বুৰঞ্জী, লোক-সংস্কৃতিৰ এখন বিস্তৃত আলোচনা গ্ৰন্থ। এখন প্ৰকৃত অৰ্থত অসমীয়া সাহিত্যৰ বিস্তৃত অথচ প্ৰামাণ্য বুৰঞ্জী।

১৯৩৩ চনতে অসম সাহিত্য সভাৰ প্ৰচেষ্টাতে 'চন্দ্ৰকান্ত অভিধান'ৰ সঙ্কলন আৰু প্ৰকাশ হৈছিল। তাৰ দুটা পৰৱৰ্ত্তী সংস্কৰণো প্ৰকাশিত হৈছে; কিন্তু যুগৰ উপযোগীকৈ সংশোধন, সংবৰ্দ্ধন কৰাৰ প্ৰয়োজন আছে। এখন বিস্তৃত অথচ প্ৰামাণ্য ব্যাকৰণ এতিয়াও লিখা হোৱা নাই। হেমচন্দ্ৰ বৰুৱা আৰু সত্যনাথ বৰাৰ প্ৰচেষ্টা নিতান্তই আশাশুধীয়া, কিন্তু এশ বছৰৰ ভিতৰত ভাষাই লাভ কৰা বিকাশ অনুপাতে ব্যাকৰণ লিখা হোৱা নাই। সেইদৰে অসমীয়া ভাষাত অসংখ্য পুৰণি বুৰঞ্জী থাকিলেও, আৰু বুৰঞ্জী-ৰচনাৰ মৌলিক সমল থাকিলেও তাৰ সম্যক ব্যৱহাৰ কৰি অসমীয়া ভাষাৰে এখন বিস্তৃত বুৰঞ্জী লিখা হোৱা নাই। এই তিনিওখন পুথিৰে ক্ষেত্ৰত আংশিক প্ৰচেষ্টা নচলা নহয়, কিন্তু এই প্ৰচেষ্টা আৰু ৰচনা-কৌশলত বস্তুনিষ্ঠতা আৰু নিৰপেক্ষতাতকৈ ব্যক্তিনিষ্ঠতা পক্ষপাতিতা-দোষদুষ্টতা দেখা যায়। কল্‌হনৰ মতে বুৰঞ্জী লেখক এজন বিচাৰকৰ দৰে 'স এব গুণবান ৰাগদ্বেষ বহিৰতা।" History is a historiacal account written chronologically with discussion of laws and cause." কিন্তু আমাৰ ৰচনাত খং, ক্ষোভ, বিদ্বেস আৰু ব্যক্তিনিষ্ঠতা উপচি পৰে। ইংৰাজী ভাষাত Comprehensive History প্ৰকাশিত হৈছে, কিন্তু অসমীয়া ভাষা এখন প্ৰামাণ্য বুৰঞ্জীৰ ক্ষেত্ৰত আজিও দৰিদ্ৰ। নৰপ্ৰস্তৰ যুগ কিম্বা প্ৰাক-আহোম যুগৰ কথা বাদ দিও আধুনিক যুগৰ বুৰঞ্জীৰ সকলো মৌলিক সমলেৰে সমীক্ষা সম্পূৰ্ণ হোৱা নাই। অসমীয়া জাতি গঠন প্ৰক্ৰিয়া, জাতিগত বিচ্ছিন্নতাবিমুখিতা আৰু আজিৰ সমন্বয়ৰ প্ৰয়োজনীয়তা আৰু অসমীয়া জাতি যে কোনো নিৰ্দিষ্ট জনগোষ্ঠীৰ প্ৰতিভূ নহয়, ই সুন্দৰ সুঠাম, সমন্বয়ৰ পৰিণতি এই কথাৰ উপলব্ধি কৰাবলৈ নীহাৰৰঞ্জন ৰায়ৰ 'বাঙ্গালীৰ ইতিহাস' নামৰ গ্ৰন্থখনৰ আৰ্হিত 'অসমীয়া জাতিৰ ইতিবৃত্ত' এখন লাগে। যি প্ৰাচীন জাতিৰ উপাদান আছে, যি যি জাতি-গোষ্ঠীৰ নতুনকৈ প্ৰব্ৰজন ঘটিছে আৰু কেনেকৈ সমন্বয় ঘটিছে তাৰ সম্যক ইতিহাস তথ্য-পাতিৰ ভিত্তিত ৰচিত হ'ব লাগে। জাতিগত উচ্চাত্মিক আৰু আনুভূতিক-প্ৰৱণতাৰপৰা দূৰত থাকিব লাগে। সাম্প্ৰতিক কালত এনে এখন পুথিৰ প্ৰয়োজনীয়তা অতি বেছি। নৃতাত্ত্বিক, সামাজিক, সাংস্কৃতিক, ঐতিহাসক সকলো দিশৰে সম্যক পৰিচয় থাকিব লাগিব। আজিকালি উত্তৰ-পূব ভাৰতত কেবিখনো বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হৈছে। বহুতো মেধাবী ছাত্ৰ আৰু অধ্যাপক আছে। এনে এটা কাম সম্পূৰ্ণ কৰাটো অসম্ভৱ যেন নেলাগে। লাগে উপলব্ধি, আগ্ৰহ আৰু আন্তৰিকতা।

অসমত আজিকালি অসম সাহিত্য সভাৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগত সঙ্গতি থকা ভালে কেইটা 'সদৌ অসম' পৰ্যায়ৰ অনুষ্ঠান গঢ় লৈ উঠিছে। এক প্ৰকাৰে ই ভালৰেই লক্ষণ; বিকেন্দ্ৰীকৰণৰ অন্য নাম মাত্ৰ। অসমৰ সামাজিক-সাংস্কৃতিক জীৱনৰ অভাৱসমূহ প্ৰত্যেক অনুষ্ঠানেই যদি পুৰণ কৰিবলৈ চেষ্টা কৰে, তেনেহলে অসমৰেই সৰ্বাঙ্গীন উন্নতি সম্ভৱ হয়। অনুষ্ঠান হৈছে সঁচা, কিন্তু সু-পৰিকল্পনা আৰু সমন্বয়ৰ লক্ষণ দেখা নাযায়। ফলত ধন আৰু শ্ৰমৰ অপচয় ঘটিছে। সু-পৰিকল্পিত, আঁচনিপ্ৰসূত, সুসংহত কামতকৈ বিক্ষিপ্ত কামৰ পৰিমাণ বাঢ়িছে। এনেকুৱা দহোটা কামতকৈ সু-পৰিকল্পিত, গবেষণালব্ধ মৌলিক এটা কামো অধিক মূল্যবান। একেজাতীয় কামৰ বাবে শক্তি আৰু সম্পদৰ যাতে অপচয় নঘটে, তাৰ বাবে অধিক বুজা-বুজি আৰু সমন্বয়ৰ প্ৰয়োজন। অসম প্ৰকাশন পৰিষদ, অসম বিজ্ঞান সমিতি, শ্ৰীশ্ৰীশঙ্কৰদেৱ সংঘ, সদৌ অসম লেখিকা সমাৱেহ সমিতি, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি-সংস্থা আদি সকলো অনুষ্ঠানেই সমধৰ্মী আৰু সম-উদ্দেশ্যবাচক। এই অনুষ্ঠানবোৰৰ আঁচনি আৰু কামৰ সমন্বয় থকা উচিত। অতবোৰ অনুষ্ঠান হৈছে যদিও পুৰণি অসমীয়া সাহিত্যৰ পুথিবোৰ বিজ্ঞানসম্মত পদ্ধতিৰ পাঠ-সমীক্ষা হোৱা নাই আৰু প্ৰকাশো হোৱা নাই। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰপৰা প্ৰকাশিত বুৰঞ্জীসমূহো নতুনকৈ পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰাৰ প্ৰয়োজন আহি পৰিছে। সেইদৰে আৰু ভালেমান পুৰণি পুথিৰ বিজ্ঞান-সম্মত পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰিব লাগে। শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰামসৰস্বতী, ভট্টদেৱ আদি প্ৰসিদ্ধ লেখকসকলৰ পুথিবোৰ পুনঃ পুনঃ প্ৰকাশ কৰি কেৱল ধনহে অৰ্জন কৰিছে, পুথিৰ পাঠৰ বিশুদ্ধতাৰ প্ৰতি চকু নাই। দিনক দিনে এই পুথিবোৰৰ প্ৰক্ষিপ্তি বাঢ়ি গৈছে। আজি সকলো ধৰণে, মানসিক, আৰ্থিক, কাৰিকৰী দিশত আগবঢ়া সত্ত্বেও আমাৰ পুৰণি সাহিত্য প্ৰকাশৰ সম্যক ব্যৱস্থা হোৱা নাই। আনপিনে আধুনিক শিশু-মন আৰু পৰিবেশৰ জোখাৰে শিশু সাহিত্যও ৰচিত হোৱা নাই। সেইদৰে জনপ্ৰিয় বিজ্ঞানৰ পুথি, শিশু-উপযোগী বিজ্ঞানৰ পুথি ৰচনাৰো প্ৰয়োজন আছে। আখৰৰ আকাৰ ডাঙৰ কৰিলেই বা দুটামান ছবি দিলেই পুথিখন শিশু-উপযোগী হৈ নুঠে। শিশু-মনস্তত্ত্ব, বিষয়বস্তু, ভাষা, প্ৰকাশ-ভঙ্গী সকলো শিশু

মনৰ উপযোগী হব লাগিব। অসম সাহিত্য সভাৰ 'শিশু-জ্ঞানকোষ' অসম বিজ্ঞান সমিতিৰ 'প্ৰাথমিক বিজ্ঞান কোষ' এই বিষয়ত বাটকটীয়া। এই প্ৰচেষ্টা সম্ভালনি হব লাগে।

অসম সাহিত্য সভাই কোনো সৃজনীশীল সাহিত্য ৰূপ-ৰীতি বান্ধি দি সৃষ্টি কৰোৱাব নোৱাৰে। সঁচা কথা। সাহিত্য সভাই আলোচনা সমালোচনাৰে সাহিত্যৰ মুল্যায়ন কৰি স্বীকৃতি দিব পাৰে, প্ৰেৰণা দিব পাৰে। পঞ্চাশৰ দশকৰ পৰা শিক্ষাৰ প্ৰসাৰ, ৰাজনৈতিক পৰিবেশৰ ৰূপ সলনি আৰু নানান কাৰণত সামাজিক-সাংস্কৃতিক জীৱনলৈ পৰিবৰ্ত্তন আহিছে। জোনাকী যুগতে সৃষ্টি হোৱা নতুন নতুন দিশৰ সাহিত্যই পঞ্চাশৰ দশকৰপৰা মুকলিমুৰীয়াকৈ বিকশিত হবলৈ ধৰে আৰু বহিৰ্বিশ্বৰ নতুন নতুন সাহিত্যিক উপাদানেৰো সমাবেশ ঘটে। ফলত সাহিত্যৰ বিভিন্ন শাখাত ৰূপ আৰু ৰীতিৰো পৰিবৰ্তন ঘটে। কবিতাত ছন্দ ৰূপ সলনি হয়, কথন-ভঙ্গীৰো পৰিবৰ্ত্তন হয়, বিষয়-বস্তুৰে নতুন ৰূপ লয়, প্ৰতীক তথা কবি-প্ৰসিদ্ধি সলনি হয়. বিশ্ব-মানৱতাৰ স্বৰূপ উপলব্ধিৰ প্ৰয়াস আৰম্ভ হয়, পাশ্চাত্যৰ চিন্তা-চৰ্চাই আমাৰ লেখকৰ মন আচ্ছন্ন কৰি পেলোৱাৰ উপৰিও আজি মধ্যপ্ৰাচ্য আৰু তৃতীয় বিশ্বৰ নতুন পোহৰৰ ৰেঙনিয়েও আমাৰ কবি-সাহিত্যিকৰ মন স্পৰ্শ কৰাই নহয় নতুন সৃষ্টিৰ প্ৰেৰণাও আগবঢ়াইছে। এই সময়তে ফ্ৰয়েডীয় মনস্তত্ত্ব, মাৰ্ক্সীয় চিন্তাধাৰা আৰু পশ্চিমীয়া ইলিয়টী কাব্যিক প্ৰ ভাৱে গল্প, উপন্যাস, কবিতা সকলোতে প্ৰকাশ্যেই হওক বা প্ৰচ্ছন্নভাৱেই হওক কম-বেছি পৰিমাণে মন আৰু ৰচনা উভয়কে স্পৰ্শ কৰি গৈছে। ইংৰাজী ভাষা আৰু সাহিত্যই একালত অসমীয়া সাহিত্যক আৰৰি ধৰিছিল কিন্তু আজি বিশ্বৰ সকলো সাহিত্যৰ বাছকৰনীয়া অংশই আমাৰ সাহিত্যত প্ৰভাৱ পেলাইছে। কিন্তু এই শ্ৰেণীৰ সাহিত্যই আমাৰ জাতীয় জীৱন, জাতীয় মন আৰু তেজৰ লগত মিলি যাব পৰা নাই। অসমীয়া সাহিত্যত কবিতা আৰু কাব্যিক-চৰ্চাৰ পৰিসৰ বৃদ্ধি পাইছে। সেই পৰিমাণে ভাল গদ্য আৰু কথা-শিল্পীৰ সংখ্যা আনুপাতিক দৃষ্টিত তাকৰীয়া। ভাল গদ্য মানে ভাব-ঘন ব্যাকৰণ শুদ্ধ, বাক্য-বিন্যাস সাবলীল আৰু ঠাঁচ উজুটি খাব লগীয়া। সাহিত্য ভাষা আৰু ব্যাকৰণ-অভিধানৰ আনুষঙ্গিক উপাদান। গতিকেই ভাষা আৰু ব্যাকৰণৰ দোষৰপৰা মুক্ত হবই লাগিব।

অসমত আজি এটা ধ্বনি উঠিছে ক্ষুদ্ৰ-জাতিসত্ত্বাৰ। অসম বহুতো জাতি-গোষ্ঠীৰ মানুহৰে ভৰা এখন ৰাজ্য। ইয়াৰ প্ৰতিটো জাতি-গোষ্ঠীকে পৃথককৈ উলিয়ালে প্ৰত্যেকেই ক্ষুদ্ৰ জাতি-সত্ত্বাত পৰিণত হব। অসম সাহিত্য সভাই বহুত দিনৰ আগতেই ক্ষুদ্ৰ জাতিসত্ত্বাৰ সংৰক্ষণ আৰু বিকাশৰ অধিকাৰ সাব্যস্ত কৰি প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু তেওঁবিলাকৰ ভাষাৰ বিকাশৰ কথাও দোহাৰিছিল। অকল সেয়ে নহয়, অসমৰ বিভিন্ন জাতি-গোষ্ঠীৰ মানুহ, মানুহৰ ভাষা আৰু সংস্কৃতি সংৰক্ষণ, অধ্যয়ন আৰু চৰ্চাৰ অৰ্থে যোৰহাটত চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ কাষত ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ কৰি কেন্দ্ৰীয় অসম তত্ত্ব সংস্থান নামৰ এটি গৱেষণা-কেন্দ্ৰ স্থাপন কৰিবলৈ পৰিকল্পনা কৰা হৈছিল আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে অনুমোদনো জনাবলৈ দিহা কৰিছিল কিন্তু মুৰকত হৈ নুঠিল। এই ভৱনৰ আঁচনিত আছিল : অসমীয়া, আহোম, কছাৰী, মৰাণ, ৰবাহী, সোণোৱাল-কছাৰী, দেউৰী, চুতীয়া, বৌদ্ধ টাই-খামতি, খামায়াং, ফাকিয়াল, টুৰুং, আইতন, মিচিং, কাৰ্বি, টিৱা, ডিমাছা, হাজং, ৰভো, গাৰো, কোচ, ৰাভা, ৰাজবংশী, মটক, অসমীয়া শিখ, অসমীয়া নেপালী, চাহ মজদুৰ আদি জনগোষ্ঠীৰ ভাষা, সাহিত্য, সংস্কৃতিৰ সংৰক্ষণ, বিকাশ আৰু চৰ্চাৰ ব্যৱস্থা। সাহিত্য সভাই যি পৰিকল্পনা কৰিছিল, সেই পৰিকল্পনা কাৰ্যকৰী হৈ উঠা হ'লে আজি ৰাজনৈতিক ন্যস্তস্বাৰ্থই অসম সাহিত্য সভাক দোষাৰোপ কৰিবলৈ ছিদ্ৰ নেপালেহেঁতেন। এমাহমানৰ আগতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ যুটীয়া সচিবক লগ পাওঁতে তেওঁ কৈছিল, পোনতে ঘৰটো তৈয়াৰী হৈ উঠিব লাগিব, তাৰ পিছত আঁচনিৰ কথা আহিব। কিন্তু আমিয়েই ৰাধাকান্ত সন্দিকৈ ভৱনৰ নিৰ্মাণ কাৰ্য্যত আওহেলা কৰিলোঁ। ক্ষুদ্ৰ জাতিসত্ত্বাৰ অস্তিত্ব ৰক্ষা আৰু ভাষাৰ বিকাশৰ বিৰোধিতা সাহিত্য সভাই কেতিয়াও নকৰে। এনে কিছুমান ষড়যন্ত্ৰকাৰী শক্তি আছে, তেওঁবিলাকৰ স্বাৰ্থ হানি হলেই পৰোক্ষ উচটনি আৰম্ভ হয়। আৰু অসমীয়া আৰু অসম সাহিত্য সভাক সমালোচনা কৰিবলৈ ধৰে। সময়ত এই শক্তিবোৰো বিচাৰি উলিয়াব লাগিব। সঁচা কথা, অসম সাহিত্য সভা এটি জাতীয়তাবাদী অনুষ্ঠান, কিন্তু সঙ্কীৰ্ণতাবাদী নহয়।

অসমীয়া সাহিত্যৰ বিকাশ সাধিত হৈছে। ভাৰতীয় অন্যান্য প্ৰাদেশিক ভাষাৰ বিভিন্ন শাখাৰ সাহিত্যৰ সমানে অসমীয়া সাহিত্য আগ�ৰেপৰাই উন্নত আৰু সমৃদ্ধ আছিল। কিন্তু অসমীয়া সাহিত্যৰ ঐশ্বৰ্য্য আৰু প্ৰাচুৰ্য্যৰ গবেষণা আৰু মূল্যায়ন হোৱা

নাই। আধুনিক অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো বিভিন্নজনৰ ৰচনাৰ সম্যক আলোচনা আৰু মূল্যায়ন হোৱা নাই। কোনো কোনো লেখকে সৃষ্টিৰ বাবেই সৃষ্টি বুলি হয়তো পুথি ৰচনা কৰি গৈছে, তেওঁৰ পুথিৰ বস্তুনিষ্ঠ সমালোচনা হোৱা নাই; আনকি প্ৰাথমিক পুথি-পৰিচয় শিতানতো পুথিৰ চিনাকী হোৱা নাই। কোনোবাই আকৌ বিজ্ঞাপনৰ যোগেদি পুথিৰ খ্যাতি আৰ্জন কৰিছে। অসমত আৰু অসমীয়া ভাষাত আলোচনী-বাতৰি কাকত দিনকদিনে বাঢ়ি গৈছে কিন্তু পুথি-সমালোচনা বা পুথি-পৰিচয়ৰ নিয়মীয়া অথচ নিৰ্ভৰযোগ্য শিতান থকা এখনো কাকত নাই। সাহিত্য সৃষ্টি হৈছে, প্ৰকাশ হৈছে কিন্তু সম্যক মূল্যায়ন হোৱা নাই, তেনেহলে সাধাৰণ পাঠকে কেনেকৈ জানিব সাহিত্যৰ সাম্প্ৰতিক গতি কোনফালে গৈছে বা কিমান ওপৰলৈ উঠি ছে। সাহিত্যৰ সাৰ্থকতা নিৰ্ভৰ কৰে ভাষাৰ মাধুৰ্য্য, সাৱলীলতা আৰু সুষম বিন্যাসৰ ওপৰত। লেখক এজনৰ বৌদ্ধিক মানদণ্ড আৰু মানৱীয় চিন্তা-চৰ্চাৰ লগত সঙ্গতি ৰাখি ভাষায়ো গঢ় লয়। আজি কিছুমান দিনৰ পৰা আমাৰ বাতৰি কাকত-আলোচনীত সাহিত্য-সংস্কৃতি বিষয়ৰ সমালোচনা কৰিবলৈ গৈ এনে ভাষা আৰু কথনৰীতি ব্যৱহাৰ কৰা দেখা গৈছে যে সি সাহিত্যৰ নিমজ, সুকুমাৰ ভাষাৰ মৰ্যদা হানি কৰিছে। সিও যদি যথাৰ্থতে সাহিত্যই হয়, তেনেহলে তাক ভৎসৰ্না সাহিত্য বুলিয়েই শ্ৰেণীবদ্ধ কৰিব পাৰি। অসমীয়া ভাষাৰ জতুৱা ঠাঁচ ইমান সমৃদ্ধ যে এটিও অশ্লীল বা কঠিন শব্দ ব্যৱহাৰ নকৰাকৈয়ো এজন মানুহক ধৰাশায়ী কৰিব পাৰি। সেই ঐতিহ্যৰ উত্তৰাধীকাৰী হৈ আমি নিজকে নগ্নতাৰে উদঙাই দেখুৱাওঁ কিয়? সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ ক্ষেত্ৰত লেখকসকল সংযত বিবেচক আৰু শালীনতাপূৰ্ণ ভাষাৰ অধিকাৰী হোৱা উচিত।

অসমৰ পৰ্বতে-পাষাণে, দাঁতিয়ে-কাষৰে বিয়পি থকা সৰু সৰু জাতিবোৰৰ ভাষাৰ শব্দ অসমীয়া ভাষাই বুটলি লব লাগে। বিভিন্ন ভাষা আৰু উপভাষাৰ কিছুমান বছা বছা শব্দ বুটলি লৈ অভিধানত সন্নিবিষ্ট কৰিলেই প্ৰকৃততে সমস্যাৰ সমাধান নহয়। জনজাতীয় বা সৰু সৰু জাতিৰ মানুহৰ জীৱন, জীৱনৰ সমস্যা, মন আৰু মনৰ সংঘাতৰ কথা উপলব্ধি কৰি তাৰ মাধ্যমত যদি সাহিত্য সৃষ্টি কৰে, য'ত থাকে যথাৰ্থ জীৱন-বীক্ষা সিয়েহে পাৰম্পৰিক মন ওচৰ চপাই নিব পাৰিব। আমাক আচলতে বহুতো ৰংবং টৈৰাং, লুম্বেৰ দাই, য়ছে দৰ্জি ঠংছে, ৰাজেন পাম লাগে। মধ্যবিত্ত, নাগৰীয়া জীৱন আৰু চৰিত্ৰ ফুটাই তোলা গল্প-উপন্যাস আমাৰ বহুতো আছে কিন্তু গ্ৰাম্য-কৃষিমুখী সমাজৰ সুক্ষ্ম-বিশ্লেষণপূৰ্ণ ৰচনাৰ অভাৱ এতিয়াও আঁতৰা নাই। সেইদৰে উক্ত জাতিসমূহৰ লোক-সংস্কৃতি আৰু লোক-জীৱনৰ ব্যাপক অধ্যয়নো হোৱা নাই। জনজাতীয় জীৱন আৰু চৰিত্ৰক লৈ গল্প-উপন্যাস ৰচিত হ'লে স্বাভাৱিকতে কিছুমান অৰ্থবহ জনজাতীয় শব্দ ব্যৱহাৰ হ'ব আৰু সি সহজেই অসমীয়ালৈ সোমাই আহিব। অসমীয়া ভাষা সমৃদ্ধ হ'ব।

মই এটা কথা লক্ষ্য কৰিছোঁ, যি সকলে ক্ষুদ্ৰ জাতিসত্ত্বাৰ নামত ঘঁৈয়ালৰ চকুপানী টোকে, তেওঁবিলাকৰ ভাষাত জনজাতীয় ভাষাৰ ধ্বনি-ব্যঞ্জনা শুনিবলৈ পোৱা নাযায়; শুনিবলৈ পোৱা যায় কোনোবা চুবুৰীয়া ৰাজ্যৰ আচহুৱা, হেনা-হুচা মাতহে। ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিবোৰৰ ভাষা-সাহিত্য-সংস্কৃতি হওক, সেইটো আমিও বিচাৰোঁ, কাৰণ সকলোৱে সমন্বয়তহে অসমীয়া জাতি আৰু ভাষা গঢ় লৈ উঠিছে। যিটো স্বাভাৱিক প্ৰক্ৰিয়া তাৰ বিৰুদ্ধে গৈ কোনোৱেই কৃতকাৰ্য্য হ'ব নোৱাৰে।

অসম সাহিত্য সভাৰ পৰিসৰ ব্যাপক বিস্তৃতি ঘটিছে। বৰ্ত্তমানৰ যিটো সচিবালয়, তাৰ বাবে অতবোৰ কাম সামৰা টান হৈ আহিছে। অসম সাহিত্য সভাই প্ৰতি বছৰে অসংখ্য কাম কৰে, কিন্তু ফলাফলৰ হিচাপত বহুতো কামৰে কোনো ফলপ্ৰসু মূল্য ৰৈ নেযায়। পূৰ্বতেই কৈছোঁ, অসম সাহিত্য সভা জনমুখী হৈ আহিছে আৰু ৰাইজেও সকলো সামাজিক-সাংস্কৃতিক কামতে সাহিত্য সভাক জড়িত কৰিব পাৰিলে ভাল পায়। কিন্তু বছৰটোৰ ভিতৰত ৰাইজে বিচৰামতে সকলো অনুষ্ঠানতে ভাগ লোৱাটো সম্ভৱ নহয়। গতিকে সাহিত্য সভাই কৰণীয় দিশ নিৰ্দ্দিষ্ট কৰি লৈ কামত আগবঢ়া উচিত।

সাহিত্য আৰু সংবাদ দুয়োটাই বাঙময় কলা। সাহিত্যত থাকে কলাত্মক দিশৰ প্ৰাধান্য আৰু অলৌকিক আনন্দ দানৰ উপাদান। সংবাদত থাকে সত্যৰ অনুসন্ধান আৰু তথ্যৰ স্বৰূপ। সাহিত্যই জীৱন আৰু সমাজক উপলব্ধি কৰি মনক অভিব্যক্ত কৰে আৰু সংবাদ -সেৱাই গণতন্ত্ৰৰ জাগ্ৰত প্ৰহৰী ৰূপে সমাজক সেৱা কৰে। সাহিত্য আৰু সংবাদ উভয়ৰে মাধ্যম হৈছে ভাষা। ভাষা যেতিয়া নিমজ, সৰল, সাৱলীল হয়, তেতিয়া সাহিত্যিক-সাংবাদিক উভয়েই সফল হয়। ভাষাই ভাষাৰ ঐতিহ্য আৰু জাতীয়ত্ব প্ৰতিপন্ন কৰে। আজি অসমীয়া ভাষা কওঁতে অসমীয়া ঠাঁচ এৰি কিবা ভঁজুৱা ৰূপত কথা কয়। চাওঁতে চাওঁতে সেই

ভঁজুৱা ৰূপ লিখিত ভাষাতো সোমাই পৰিছে। এই প্ৰভাৱ কিন্তু সুদূৰপ্ৰসাৰী। এফালে সংস্কৃত ভাষা উঠি গৈছে। আনফালে সংস্কৃত মূলৰ পাৰিভাষিক শব্দবোৰ উপর্যুপৰি ব্যৱহাৰ কৰিবলৈ ধৰিছে। ফলত সংস্কৃত শব্দৰ ব্যুৎপত্তি নজনাকৈ শব্দ ব্যৱহাৰ কৰোঁতে তাৰ অর্থ কেতিয়া-কোনফালে গৈছে ধৰা টান। আজি অসমৰ সাংবাদিকতাই ডেৰশ বছৰীয়া উৎসৱ উদ্‌যাপন কৰিবলৈ আয়োজন কৰিছে। অসমীয়া সংবাদ পত্ৰই কেৱল সাংবাদিকতাই কৰা নাই, সাহিত্য সেৱাও কৰি আহিছে। ভাগ্যেমান কেইজন সাহিত্যিকে প্ৰতিষ্ঠা লাভ কৰিছিল সংবাদ-পত্ৰৰ পাততহে। গতিকে উক্ত উৎসৱৰ লক্ষ্য আৰু আদৰ্শও সুদূৰপ্ৰসাৰী। কোনো নিৰ্দিষ্ট লেখকৰ ৰচনা-ৰীতিয়ে পাঠকৰ মনত প্ৰভাৱ পেলোৱাৰ আগতে সংবাদ-পত্ৰৰ পাতৰপৰা প্ৰাথমিক চিনাকিৰে অনুকৰণ আৰম্ভ কৰে। গতিকে তাহানি চন্দ্ৰকুমাৰ আগৰৱালাই ৰচনা-ৰীতি নিৰূপন কৰি দিয়াৰ দৰে আজি-কালিৰ সম্পাদকসকলেও আখৰ-জোঁটনি, শব্দ-চয়ন, ব্যাকৰণ-ৰীতি আদিৰ ক্ষেত্ৰত কোনো এক নিৰ্দিষ্ট নীতি মানি চলি সংবাদ-পত্ৰত ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ দিহা কৰিব নোৱাৰেনে? ডেৰশ বছৰত অসমীয়া সংবাদ-পত্ৰৰ অৱদান আৰু তাৰ মূল্যায়ন হব বুলি আশা কৰিছোঁ। ১৮৩৬-৭২ চনত অসমৰ স্কুল-আদালতত বাংলা ভাষাৰ প্ৰচলনে কিছুমান উপাদান অসমীয়া ভাষাত এৰি থৈ গল। সেই ৰোৱে এতিয়াও মাজে-সময়ে ভূমুকি মাৰি শুৰু-চণ্ডালি দোষ ঘটায়। এতিয়া আকৌ বাংলা বাতৰি-কাকত আৰু আলোচনীয়ে নতুনকৈ অবাঞ্ছনীয় ভাষাৰে কঠীয়া সিঁচিছে অসমীয়া সাহিত্যৰ পথাৰত। সময়ে সময়ে টাকনি দিয়াৰ সুযোগ আৰু সুবিধা আছে সম্পাদকসকলৰে। সম্পাদনাৰ জুইশালত গঢ় দি পঠিওৱা লেখকেই সাহিত্য-চৰ্চাৰ কমাৰ-শালত চিকচিকীয়া হৈ ওলায়। নতুন লেখক সৃষ্টিত অৰিহণা যোগাব পৰাতেই সম্পাদকৰ কৃতিত্ব আৰু সার্থকতা।

অসম সাহিত্য সভাৰ প্ৰয়োজনীয়তা বা প্ৰাসঙ্গিকতা শেষ হৈ গৈছে বুলি কোৱা মানুহো ওলাইছে। প্ৰয়োজন আছেনে নাই, সেই কথা উপলব্ধি কৰিব ভিতৰৰ মানুহে। যি অনুষ্ঠানৰ লগত সম্পৰ্ক ৰখা নাই, যাৰ আত্মিক সম্পৰ্ক নাই, তেওঁৰ অনুষ্ঠানটোৰ ভূত-ভবিষ্যত সম্পৰ্কে কোৱাৰ কি অধিকাৰ আছে? যোৱা তিনি কুৰি সোতৰ বছৰে যি টো অনুষ্ঠানৰ সম্পৰ্ক অসমীয়াৰ মনৰ লগত, প্ৰাণৰ লগত, জীৱনৰ লগত মিলি গৈছে। অসমৰ, অসমীয়াৰ মৰমৰ, চেনেহৰ, াৰ আৰু অন্তৰৰ প্ৰতিজন পুৰুষক স্বীকৃতি দি সম্মান যাচি নেতৃত্ব দি গৈছে, সেই অনুষ্ঠানটোৰ প্ৰয়োজনীয়তা আজিও আছে, ভবিষ্যতেও থাকিব। মাইলছ ব্ৰণনে তেওঁৰ অভিধানৰ 'আভাস'ত লিখিছিল, 'অচমিয়া ভাসা ব্ৰহ্মপুত্ৰৰ নদিৰ সোঁতৰ নিচিনাকৈ ৰাজ্যৰ মাজত একেদৰে চলি আছে, আৰু আগলৈকো চলিব।' ব্ৰহ্মপুত্ৰ আজি বহল হৈছে সঁচা কিন্তু বুকুৰ গভীৰতা বাম হৈছে, চাপৰি পৰিছে। এই সময়ত ব্ৰহ্মপুত্ৰৰ সোঁতৰ গতি-বিধি লক্ষ্য কৰি থাকিবলৈকে অসম সাহিত্য সভাৰ নিচিনা এখন সভাৰ একান্ত প্ৰয়োজন। সভাই আজি ভাষা-মঞ্চ প্ৰতিষ্ঠা কৰিছে। ভাষাৰ লগত ভাষাৰ, সাহিত্যৰ লগত সাহিত্যৰ সমন্বয় ৰক্ষা কৰিবলৈকে অসম সাহিত্য সভাক সক্ৰিয় কৰি ৰাখিব লাগিব। আন্তৰ্জাতিকতাবাদৰ স্বপ্ন ভাগি যোৱাৰ পাছত উদাৰ জাতীয়তাবাদেই অন্যতম বিকল্প স্বৰূপে পৰিগণিত হৈছে, গতিকে সাহিত্য সভাই জাতীয় সাহিত্য-সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশৰ অর্থে কাম কৰি যাবই লাগিব। যিদৰে দুয়োপাৰৰ নৈ-উপনৈ সামৰি ব্ৰহ্মপুত্ৰ নিৰবচ্ছিন্ন গতিৰে প্ৰবাহিত হৈছে সেইদৰেই দুয়োপাৰেই বাস কৰা জাতি-উপজাতি-জনজাতিৰ সমন্বয়ত অসমীয়া মহাজাতি সৃষ্টি কৰি শান্তি-সমৃদ্ধিৰে বসবাস কৰিবলৈ সাহিত্য সভাই পৰিবেশ ৰচনা কৰক আৰু দুয়োপাৰৰ সৃষ্টিশীল সাহিত্যিকে জনজীৱনৰ সূক্ষ্ম অনুভূতিৰে সাহিত্য সৃষ্টি কৰক, যাত মানুহৰ সমস্যাৰ বাতৰি থাকে, মানৱতাৰ পৰিচয় থাকে আৰু থাকে চিন্তাৰ মহত্ত্ব। অসম সাহিত্য সভাই সাহিত্যৰ সম্যক মূল্যায়ন কৰি সাহিত্যিকক অনুপ্ৰেৰিত কৰক আৰু দিক দৰ্শন কৰক। অসমীয়া জাতিক কোনেও মাৰিব নোৱাৰে; নমৰে ই ৰক্তবীজৰ সন্তান। এই জাতিৰ জন্মতেই লাগি আহিছে অক্ষয় জীৱনী শক্তি। কিন্তু সচেতনতা আৰু জাগৃতিৰ প্ৰয়োজন। ইয়াকে কৰিবলৈ মাত্ৰ এটিয়েই অনুষ্ঠান আছে, সেয়ে অসম সাহিত্য সভা।

অসমত সাহিত্য সৃষ্টি হৈছে, আগৰ তুলনাত সাহিত্য সৃষ্টিৰ প্ৰয়াস বৃদ্ধি পাইছে কিন্তু সেই অনুপাতে প্ৰকাশৰ সুবিধা বঢ়া নাই। সু-প্ৰতিষ্ঠিত লেখকসকলৰ ক্ষেত্ৰত প্ৰকাশৰ সিমান অসুবিধা নাপালেও নবীন লেখক-লেখিকা আৰু বয়সীয়া লেখক-লেখিকাই বহুতো সময়ত প্ৰকাশকৰ অভাৱৰ বিষয়ে অভিযোগ কৰা শুনা যায়। ইয়াৰ সমাধান ক'ত? আনপিনে বিসকল প্ৰতিষ্ঠিত লেখকে প্ৰকাশক পাইছে আৰু যথাসংখ্যক পুথি প্ৰকাশিত হৈছে, তেওঁবিলাকে আকৌ পাৰিশ্ৰমিক বা মাননি কেৱা পোৱা নাই। কোনে, কেতিয়া, কিমান সংখ্যক পুথি ছপালে তাকো জনোৱা নাই। লেখক আৰু প্ৰকাশকৰ সম্পৰ্ক কেতিয়া

সততাৰ ভিত্তিত গঢ় লৈ উঠিব? লেখকসকল কেনেকৈ শোষণমুক্ত হব পাৰিব? সাহিত্য সভাৰ নিচিনা অনুষ্ঠানে লেখকসকলক সু-সংঘবদ্ধ কৰি তেওঁবিলাকৰ স্বাৰ্থ-স্বত্ত্ব ৰক্ষাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰেনে? আজিকালি আধুনিক ইলেকট্ৰনিক ছপাশালৰ সুবিধা লৈ লেখকৰ অনুমতি অবিহনে বা অজ্ঞাতে অনেকে অতিৰিক্ত কপি ছপাই নিৰীহ লেখকক বঞ্চিত কৰে। ইয়াৰো প্ৰতিকাৰ নাইনে? চিন্তা-চৰ্চা আৰু আলোচনা কৰি এই সমস্যাৰো সমাধান উলিয়াব লাগিব।

বিশ্বত অসংখ্য বিশ্ববিদ্যালয় আছে আৰু সেইবোৰ বিশ্ববিদ্যালয়ত বিভিন্ন বিষয়ৰ অধ্যয়ন, অধ্যাপনা আৰু গবেষণা কৰাৰ ব্যাপক সুবিধা আছে। কিন্তু অসমীয়া ভাষা-সাহিত্যৰ অধ্যয়ন-অধ্যাপনা কৰিবলৈ সমগ্ৰ বিশ্বৰ ভিতৰত মাত্ৰ দুখনেই বিশ্ববিদ্যালয় আছে — ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়। এই দুয়োটা বিশ্ববিদ্যালয়ত যথাসম্ভব গবেষণা কৰা হৈছে যদিও ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত সৰু সৰু জাতিবোৰৰ প্ৰকৃত অৱদান আৰু বৈশিষ্ট সম্পৰ্কে বিচাৰ-বিশ্লেষণ আৰু মূল্যায়ন কৰা হোৱা নাই। তাতো কোনো কোনো গৱেষকৰ আৰ্যমুখী উচ্চাত্মিকায়ো জেঙা নলগোৱাকৈ থকা নাই। সম্প্ৰতি তেজপুৰত প্ৰতিষ্ঠিত হোৱা কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত যিখিনি আধৰুৱা কাম আছে, বিজ্ঞানসন্মতভাবে সেইখিনি সম্পূৰ্ণ কৰিবলৈ কাৰ্য্য-ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ। অসমৰ সমূহ জনগোষ্ঠীৰ লোক-সংস্কৃতিৰ সংগ্ৰহ, সংৰক্ষণ, অধ্যয়ন গবেষণাৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয়খন আগবাঢ়ি আহিব বুলি আশা কৰিছোঁ। এই বিভিন্ন অনুষ্ঠানৰ পক্ষৰপৰা চেগা-চোৱোকাকৈ যিবোৰ প্ৰচেষ্টা চলোৱা হৈছিল, তাৰ সমন্বয় ঘটাই পূৰ্ণ পৰ্য্যায়ৰ গবেষণা হোৱা উচিত। কেন্দ্ৰীয় বিশ্ববিদ্যালয় দুখনৰ আইনত যি ত্ৰুটি আছে আৰু আইনখনে যি বিভাজনমুখী সুৰুঙা ৰাখিছে তাক দূৰ কৰি প্ৰকৃত একাডেমিক অনুষ্ঠানৰূপে গঢ় দি তুলিব লাগে।

অতীতৰ বুকুত ভৰি দি বৰ্ত্তমান উঠি আহে। বৰ্ত্তমানেই অনাগত ভবিষ্যতৰ গতি নিৰূপণ কৰে। অসম সাহিত্য সভাই অতীতৰ অভিজ্ঞতা আৰু জ্ঞানৰ পৰিসীমা গৰকি আহি বৰ্ত্তমানৰ কৰ্মক্ষেত্ৰত ভৰি দিছেহি। বৰ্ত্তমান কৰ্মক্ষেত্ৰৰ বুকুতে ভৰ দি ভবিষ্যত আগুৱাই আহিব। বৰ্ত্তমান কাম কৰিবলৈ ব্যক্তি আৰু অনুষ্ঠান অনেক আগবাঢ়ি আহিছে, কিন্তু লক্ষ্য আৰু আদৰ্শত আছে বিক্ষিপ্ত মানসিকতা; একাগ্ৰতাৰ অভাৱ। কেৱল সাহিত্য সভাৰ ক্ষেত্ৰতেই নহয় আৰু অনেক সমধৰ্মী সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ ক্ষেত্ৰতো এই মন্তব্য প্ৰযোজ্য। সেইবাবে সাহিত্য সভাই অতি সন্তৰ্পনে পদক্ষেপ দিয়া উচিত। যাতে কোনো খোজতে ত্ৰুটি থাকি নাযায়।

আগতে কৈ আহিছোঁ যে কোনো অনুষ্ঠানেই ৰাতিটোৰ ভিতৰতে কাঠফুলা গজাদি গজি উঠিব নোৱাৰে। বহুজনৰ ত্যাগ, শ্ৰম আৰু কষ্টৰ বিনিময়তহে একোটা অনুষ্ঠান গঢ় লৈ উঠে। ১৯১৭ চনৰপৰা এই দীঘলীয়া সময়ছোৱাত ভালেমান লোকে সাহিত্য সভাৰ কামত আত্মনিয়োগ কৰি, কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি গৈছে। সেইসকলৰ ত্যাগৰ মূল্যায়ন কৰি স্বীকৃতি দিব লাগে। প্ৰথম প্ৰধান সম্পাদক শৰৎচন্দ্ৰ গোস্বামীৰ পৰা সহকাৰী অনন্ত তালুকদাৰলৈকে সৰু-বৰ সকলোৱে ত্যাগৰ স্বীকৃতি দিব লাগে। যিসকলে দেখপ্ৰেমত উদ্বুদ্ধ হৈ, জাতীয় ভাব-আদৰ্শত উদ্বুদ্ধ হৈ সাহিত্য সেৱা কৰি মাতৃভাষাৰ উন্নতি কামনা কৰি গৈছে, তেওঁবিলাকক আন্তৰিকতাৰে সন্মান জনোৱা উচিত। শতবাৰ্ষিক পালন আৰু গ্ৰন্থাবলী বা ৰচনাবলী প্ৰকাশৰ ক্ষেত্ৰতো সু-পৰিকল্পিত আঁচনি গ্ৰহণ কৰা উচিত। যি আঁচনি গ্ৰহণ কৰা হয়, তাক নিয়াৰিকৈ ৰূপায়ন কৰিব লাগে। উনবিংশ শতিকাৰ শেহ দশকত জন্ম হোৱা সকলো মানুহৰেই বিংশ শতিকাৰ এই দশকত শতবৰ্ষ পূৰ্ণ হব। অসম সাহিত্য সভাই কাৰ কাৰ শতবাৰ্ষিকী উদ্‌যাপন কৰিব, তাৰ নীতি-নিৰ্দ্ধাৰণ কৰি তালিকা এখন যুগুত কৰি আগতীয়াকৈ প্ৰস্তুতি চলাব লাগে।

অসমীয়া জাতিটো লাহে লাহে লোক-প্ৰজ্ঞা, লোক-সংস্কৃতি আৰু লোক-জীৱনৰ গতিধাৰাৰ পৰা বিচ্ছিন্ন হৈ আহিছে লোক-সংস্কৃতিৰ আপুৰগীয়া সম্পদসমূহ পাহৰণিৰ বুকুত জাহ গৈছে। লোক-গীত, লোক-কথা, লোকপ্ৰবচন, কিম্বদন্তি আৰু স্থানীয় প্ৰবাদ, লোক-বিশ্বাস, বুৱঞ্জী আদি খৰতৰ গতিৰে পাহৰণিৰ বুকুত চিৰদিনলৈ হেৰাই যাবলৈ উপক্ৰম কৰিছে। অসম সাহিত্য সভাই অতি সোনকালে এইবোৰ বিজ্ঞানসন্মত প্ৰক্ৰিয়াৰে সংগ্ৰহ আৰু সংৰক্ষণ কৰিব লাগে। এই কামত শাখা সভাসমূহৰো কৰ্মীসকলক জড়িত কৰিব লাগে। লোক-সাহিত্যৰ পূৰ্ণ-পৰ্যায়ৰ সঙ্কলন এটি যুগুত কৰিবলৈ আঁচনি কৰি সেই লক্ষ্য আগত লৈ দৃঢ়তাৰে আৰু আশাগুধীয়াকৈ কাম কৰি যাব লাগে।

অসম সাহিত্য সভাৰ সবাতোকৈ ডাঙৰ অন্তৰায় হৈছে, পুঁজিৰ অভাৱ। ৰাইজৰ ৰাজহুৱা ধনেৰে গঠিত চৰকাৰী পুঁজিৰ পৰা অনুদান পাবলৈ প্ৰয়োজনীয় অধিকাৰ অসম সাহিত্য সভাৰো আছে। দেশত যি দলৰেই চৰকাৰ নহওক, ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশ সাধনৰ অৰ্থে বিত্তীয় অনুদান লাভ কৰিবলৈ সকলোৰে নৈতিক অধিকাৰ আছে। তত্ৰাচ সময়ে সময়ে সাহিত্য সভাক এনে অনুদানৰপৰা বঞ্চিত কৰাত সভাই ৰাইজৰ দান-বৰঙণি লৈ জাতীয় ন্যাস নামেৰে এটি আছুতীয়া পুঁজি গঠন কৰিবলৈ সিদ্ধান্ত কৰিছিল। সাহিত্যানুৰাগী ৰাইজে মুকলি হাতেৰে দান-বৰঙণি আগবঢ়াই এই ন্যাস পুঁজিটো শক্তিশালী কৰি তুলিলে অসম সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সামুহিক উন্নতিৰ হকে কাম কৰিব পাৰিব।

গুৱাহাটীৰ হেঙেৰাবাৰীত যি প্ৰকল্প নিৰ্মাণৰ আঁচনি কৰা হৈছে, সি কাৰ্যকৰী হৈ উঠিলে সভাৰ কাৰ্য্য-পৰিসৰ আৰু অধিক বৃদ্ধি পাব কিন্তু তাৰ জোখাৰে সক্ৰিয় আৰু ত্যাগী কৰ্মীৰ আৱশ্যক হব।

আমাৰ সম্পত্তি বৃদ্ধি পাইছে, সম্পদ সৱহীয়া হৈছে কিন্তু এইবিলাকৰ সংৰক্ষণ আৰু ব্যৱহাৰৰ দিশটোৰ প্ৰতিও চকু দিবলগীয়া হৈছে। ভগৱতী প্ৰসাদ বৰুৱা ভৱন আৰু চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ পুথিভঁৰাল দুটা আটোম-টোকাৰিকৈ সজাই তুলিব লাগে। অসমীয়া ভাষা-সাহিত্যৰ সকলো পুথি ক'তো নেপালেও যাতে সাহিত্য সভাৰ পুথি ভঁৰালত পায় আৰু সুন্দৰ, সুস্থ ব্যৱস্থাৰে যাতে সংৰক্ষণ হয়, তালৈ চকু ৰাখিব লাগে।

অসমী আইৰ তেজ-মঙহৰ সন্তানসকল, আমি আমাৰ দেশ, আমাৰ ভেটি-মাটি ৰক্ষা কৰিবলৈ মাৰ বান্ধি থিয় দিছিলোঁ; আমিয়েই শৰাইঘাটত সম্মিলিত হৈ জয়ৰ নিচান উৰুৱাই আগবাঢ়ি গৈছিলোঁ। আজিও আমি আমাৰ পৰ্বত-ভৈয়ামৰ জাতি-উপজাতি-জনজাতি সম্মিলিত হৈ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ ভাষা-সাহিত্য-সংস্কৃতি ৰক্ষা কৰিবলৈ আগবাঢ়ি যাওঁ। মনত ৰাখিব, আমি মানুহ, আমি একে মানুহৰ তেজ-মঙহৰ সন্তান, আমাৰ আশা-আকাংক্ষা একে, আমাৰ সমস্যা একে। মানৱতাৰ আদৰ্শৰে উদ্বুদ্ধ মহান সাহিত্যই আমাক ঐক্যবদ্ধ হৈ কাম কৰিবলৈ প্ৰেৰণা দিয়ক আৰু অমৰ [illegible] জীয়াই থাকক। ষড়যন্ত্ৰকাৰীৰ কূট-কৌশল, আক্ৰমণকাৰীৰ গতি দুৰ্বাৰ শক্তিৰে প্ৰতিহত কৰিবলৈ আমাৰ দেহত বল, [illegible]ক্তি আৰু বুকুত সাহস দিয়ক।

-- + --

৬১তম অধিবেশন

সর্থেবাৰী : ২৫ ফেব্রুৱাৰী ১৯৯৫ চন

হিতেশ ডেকা

অসম সাহিত্য সভাৰ ৬১ তম সর্থেবাৰী অধিবেশণৰ অভ্যর্থনা সমিতিৰ মাননীয় সভাপতি প্রমুখ্যে সন্মানীয় কর্মকর্তাসকল, মাননীয় উদ্বোধক ৰাজ্যপাল শ্রী লোকনাথ মিশ্রদেৱ, মাননীয় মুখ্য অতিথি কুলদীপ নায়াৰ ডাঙৰীয়া, মাননীয় প্রাক্তন সভাপতিসকল, বিশিষ্ট অতিথিবৃন্দ, মাননীয় নির্দিষ্ট বক্তসকল, শ্রদ্ধেয় প্রতিনিধিবর্গ, শ্রদ্ধাভাজন ভাষা সংস্কৃতিৰ পূজাৰীসকল আৰু সন্মানীয় সাহিত্যপ্রেমী সুধীবৃন্দ।

আজিৰ এই পৱিত্রক্ষণত পৱম পবিত্র স্থান 'কোহিঁৰাম হলিৰাম' ক্ষেত্রত অসম সাহিত্যসভাৰ দৱে এটা বৃহৎ আৰু মহৎ পবিত্র মঞ্চত উপবিষ্ট হৈ মই শ্রদ্ধা অৱনত মস্তকে সকলো ৰাইজকে প্রণিপাত জনাইছোঁ।

হে মোৰ চিৰপূজ্য মানৱ দেৱতাসকল, আপোনাসৱৰ চৰণৰ ধূলিৰে মোৰ শিৰ পবিত্র কৰক। মানুহ মোৰ মানত দেৱতা, মানুহৰূপী দেৱতা মোৰ অতি প্রিয়। মানুহকে মই ভাল পাওঁ। মানুহে মোৰ আৰাধ্য, মানুহে মোৰ ভগৱান। মানৱ সেৱাই মোৰ ধর্ম। ঈশ্বৰক মই দেখা নাই, কিন্তু মানুহৰূপী ঈশ্বৰ মই দেখিছো। জীৱ, জগত আৰু ঈশ্বৰ— এইতিনিটাই দর্শনৰ প্রতিপাদ্য বিষয়। সমস্ত আত্মাত পৱমাত্মা বিৰাজমান। গতিকে মানুহ আত্মাই পৱম আত্মাৰ স্বৰূপ—ঈশ্বৰ, আল্লা, গড। এই ঈশ্বৰ জ্ঞানে মই সবাকো প্রণিপাত জনাইছো।

মোৰ অতি প্রিয় মানুহৰ বিপুল সমাগমত মহাসমুদ্র সদৃশ জনশ্রুত প্রৱাহিত হৈছে আজি 'কোহিঁৰাম হলিৰাম' ক্ষেত্রলৈ এই জনসমুদ্রৰ বুকুত আজি মই লীন হৈ গৈছো। মোৰ ব্যক্তিসত্বা জনসত্বাৰ বুকুত লীন হৈ গৈছে। মই আজি আৰু মই হৈ থকা নাই আমি হৈ গৈছো।

হে মোৰ চিৰ নমস্য ৰাইজ! অসম সাহিত্য সভাৰ পূণ্যক্ষেত্রত আপোনাসৱক প্রণাম জনাই কেইষাৰমান কথাহে মই আগবঢ়াম।

আজি মোৰ মনত পৱিছে শৈশৱৰ মধুৰ স্মৃতি বিজৱিত মোৰ জন্মস্থান মৱমৰ তাহানিৰ সর্থেবাৰীৰ গাওঁখনলৈ। পূর্বস্মৃতি ৰোমন্থন কৰি মোৰ মন আবেগ বিহ্বল হৈ পৱিছে। এই গাৱঁতে জন্মি লৰালি কালত উমলি জামলি, শৈশৱত বন্ধু বান্ধৱৰ সৈতে কতনা খেলা খেলিছিলো। দোকমোকালিতে কঁহাৰৰ গঢ়ৰ শালত হাতুৰিৰ টিং টাং শব্দত সাৰ পাই উঠি গঢ়ৰশালত জুই পুৱাইছিলো।পিছ মুহুর্ততে বন্ধু বান্ধৱৰ সৈতে খৰি কাটিবলৈ ঢাপলি মেলিছিলো হিৰাবৰী পাকা ৰিজার্ভলৈ। এইয়েই হিৰাবৰী.. এইয়েই পাকা ৰিজার্ভ আজি যত সাহিত্য সভাৰ মঞ্চ তৈয়াৰ হৈছে। য'ত আমি সকলোৱে সমবেত হৈছো। ইয়েই এদিন আছিল ৰটা তাণ্ডা, নলৰিৰিণা বনেৰে আবৃত ৰিজার্ভ। ইয়াতে বিহানে আহি আমি ল'ৰাবিলাকে খৰি কাটিছিলো। ধলপুৱাতে বনৰ নিয়ৰে গাৰ কাপোৰ তিয়াই পেলাইছিল। জাকে জাকে পহুৰ পাল পোৱা বনৰ মাজে মাজে দৌৰি ফুৰিছিল, শিয়ালৰ জাক আতৰি পলাইছিল। ৰটাবন, টাণ্ডাবনৰ মাজৰ পৱাই কাচিং বনৰাজ আৱির্ভাৱ হৈ ভীতি সঞ্চাৰ কৰিছিল। আনন্দৰ সলনি ভয়তে মাজে মাজে মন ভীত সংকুচিত কৰি তুলিছিল। বন্যভূমি আমাৰ ৰম্যভূমি আছিল। মাছ-কাছৰ পৱা খুতুৱা, ভতুৱা শাক, হেলচী শাকৰ আহৱণ ভূমি এই পাকা ৰিজার্ভৰ দোণ্ডাবোৰ। কালৰ কুটিল গতিত আজি সেই অৰণ্যভূমি লোকাৰণ্য ভূমিত পৱিণত হ'ল। এয়েইতো অজ্ঞেয় কাল। এয়েইতো দুর্জেয় কাল। আজি আৰু নলখাগৰি, ৰটা, তণ্ডা, বন নাই— আজি দুৱৰি দলিচাত

পৰিণত হৈছে। শিয়াল পহু আৰু বাঘৰ বিচৰণ ভূমি আজি গোচাৰণ ভূমিত পৰিণত হৈছে।

এইয়ে সেই সৰ্থেবাৰী গাওঁ য'ত সেই সময়ত বাৰিষা কালত বাস্তাৰ বুকুত নাও খেল খেলিছিলো। আজি তাত মটৰ গাড়ীৰহে খেল চলে। এইয়ে সেই আল্লা নদী যাৰ বুকুত আৰু পাৰত নাও খেলিছিলো। তাত আজি বজাৰ বহিছে। সাগৰ যেন নগৰ হ'ল। সময়ৰ কি পৰিৱৰ্তন!

চাহপাতৰ বাবে অসম জগত বিখ্যাত, কাঁহৰ বাচনৰ বাবে সৰ্থেবাৰী ভাৰত বিখ্যাত। আমাৰ গাওঁ, আমাৰ বাজ্য বিশ্ব-বিখ্যাত।

এই সৰ্থেবাৰী নামৰ লগত এটি মধুৰ কাহিনী জড়িত আছে। কিংবদন্তীৰ মতে সৰ্থিদেৱীৰ নামেৰে এই গাঁৱৰ নাম ৰখা হয়। সোৱথপুৰ ৰাজ্যৰ ৰাজধানী আছিল সুৱথপুৰ। ৰজা সুৱথৰ জীয়ৰী সৰ্থিদেৱীৰ নামেৰে ৰাজধানীৰ নাম ৰখা হৈছিল সৰ্থিপুৰ। কালক্ৰমত এই সৰ্থিৰ নাম মুখ পিছলি সৰ্থে হয় আৰু পিছত সৰ্থেবাৰী হয়। হিন্দী সাহিত্যত সতী সৰ্থি যোগী বৃজাভাৰ নামৰ কাহিনী কাব্যত এই নাম পূজিত হৈ আহিছে। বৃজাভাৰ দক্ষিণাত্যৰ ৰাজপুত্ৰ আছিল। দৈৱদুৰ্ঘটনাত যোগী পুৰুষ হৈ সুৱথপুৰলৈ আহি ৰাজকুমাৰী সৰ্থিদেৱীক হৰণ কৰি লৈ যায়। আজিকালি ন-সত্ৰ গাঁৱৰ পূৰ্বতে নাম ফুলবাৰী আছিল। ইয়াত সুৱথ ৰজাৰ ফুলৰ উদ্যান আছিল। নাতিদূৰত অবস্থিত নটপাৰা গাঁৱত নট বা নৃত্য প্ৰদৰ্শন কৰা লোকসকলৰ বাসস্থান আছিল। ইতিহাসৰ যুগতো সপ্তম শতিকাৰ অসম ভূপতি কুমাৰ ভাস্কৰ বৰ্মাই সৰ্থেবাৰীৰ কাঁহৰ বাচন বৰ্তন তেওঁৰ বন্ধু ভাৰত নৃপতি হৰ্ষবৰ্ধনৰ ৰাজসভালৈ উপঢৌকন হিচাপে পঠোৱা কথা হিউৱেন চাঙৰ টোকাৰ পৰা পোৱা যায়।

ঐতিহ্যমণ্ডিত সংস্কৃতিবান কহাঁৰ শিল্পীৰ বাসস্থান এই সৰ্থেবাৰীতে যোগাদ্যা তিথিত মাঘী পূৰ্ণিমাত প্ৰতিবছৰে পাহ দিনিয়া সভা হয়। ইয়ে সৰ্থেবৰীয়া ৰাইজৰ ধৰ্ম আৰু সমাজৰ মিলনকে সুচায়। সভাত মুছলমান ভাই সকলৰো সহযোগ আছে। ইয়ে হিন্দু -মুছলমানৰ মহামিলনৰ ক্ষেত্ৰ।

আজি বিদ্বান মণ্ডলিৰ সমাবেশত মোৰ মনত পৰিছে উচ্চশিক্ষা লাভৰ ক্ষেত্ৰ নলবাৰীলৈ। বিদ্বৎ সমাজৰ কাষ চাপিবলৈ সক্ষম কৰা উচ্চশিক্ষা লাভৰ প্ৰতিষ্ঠান নলবাৰী কলেজলৈ, সেয়ে নলবৰীয়া বিদ্বান জ্ঞানী সমাজখনলৈ মোৰ মূৰ শ্ৰদ্ধাত নত হৈ পৰিছে।

কৰ্মমুখৰ সাহিত্য সভাৰ কৰ্মকৰ্তা আৰু প্ৰতিনিধিবৰ্গক দেখি মনত পৰিছে মোৰ কৰ্মস্থান জালুকবাৰীলৈ-গাড়ীগাঁৱলৈ । যি কমক্ষেত্ৰই মেক জীৱন জীৱিকাৰ পথ দি এই বিশাল সংসাৰখনত মেৰুদণ্ড পোণ কৰি বিচৰণ কৰিবলৈ সক্ষম কৰি তুলিছে। মোৰ বাসস্থান গাড়ীগাৱৰ হিন্দু মুছলমানৰ আৰু কৰ্ম স্থান জালুকবাৰী অঞ্চলৰ ৰাইজৰ মৰম চেনেহে মোৰ হিয়া মন আৱৰি আছে। সৰ্থেবাৰী মোৰ জন্মস্থান, নলবাৰী মোৰ শিক্ষাস্থান আৰু জালুকবাৰী মোৰ কৰ্মস্থান। এই তিনিখন স্থান বা বাৰীতে মোৰ জীৱন বৃত্ত ঘুৰি আছে।

এই অসম ৰাজ্য পৰম পবিত্ৰ ৰাজ্য। শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱ মহাপুৰুষ চাৰিজনাৰ পদধূলিৰে এই দেশ, এই ৰাজ্য পৰম পবিত্ৰ হৈছে। তেৱাসৱৰ ধৰ্মৰ বাণীৰে এই ৰাজ্য পৰম পূতঃ হৈছে। তেৱা সৱৰ পদাংক অনুসৱন কৰি অসমীয়া বৈষ্ণৱ ভক্তসকলে আধ্যাত্মিক জগতত প্ৰৱেশ কৰি জগতপতিৰ কৃপা লাভ কৰি জীৱন সাৰ্থক কৰিছে। আজান পীৰকে প্ৰমুখ্য কৰি কত শতজন ধৰ্মাত্মা মুছলমানে এই ৰাজ্যতে আল্লাৰ পৰম পবিত্ৰ নাম প্ৰচাৰ কৰি জীৱন ধন্য কৰিছে। ইছলামৰ প্ৰেমৰ বাণীৰে এই ৰাজ্য ঝংকাৰিত হৈ আছে। জৈন, খ্ৰীষ্টান, শিখ, বৌদ্ধ আদি ধৰ্মৰ লোকসকলে এই অসমতে ধৰ্ম সাধন কৰি জীৱন মধুময় কৰিছে। এই নিঃকিনেও তেৱাসৱক মিনতি জনাই আষাৰ চেৰেক কথলৈ আৰম্ভ কৰিলোঁ।

অসম সাহিত্য সভা অসমৰ সৰ্ববৃহৎ অৰাজনৈতিক জাতীয় অনুষ্ঠান। ইয়াত অসমৰ সমস্ত জাতি-প্ৰজাতি একত্ৰিত হৈ জাতীয় সাহিত্য সংস্কৃতিৰ উন্নতিৰ কল্পে আলোচনা কৰে। জাতি বৰ্ণ ধৰ্ম আৰু ৰাজনৈতিক দল নিৰ্বিশেষে সকলোৱে মিলিত হৈ সামুহিক মংগলৰ বাবে নীতি নিৰ্ধাৰণ কৰে। এনেহেন এটি মহান অনুষ্ঠানৰ মহামেলাত উপস্থিত হৈ আমি আজি দেশ, জাতি, ভাষা, সাহিত্য সংস্কৃতিৰ উন্নতিৰ বাবে পৰিকল্পনা কৰিম।

মানুহ, মাটি, দেশ, জাতি, ভাষা, কৃষ্টি, সাহিত্য-সংস্কৃতিৰ অধ্যয়নে সভ্যতাৰ ক্ৰমবিকাশৰ মূল ভেটি তৈয়াৰ কৰে।

আধুনিক অসমীয়া সাহিত্যৰ ৰৰমেলাৰ জন্ম হৈছিল শিৱসাগৰত ১৯১৭ চনত। প্ৰথম সভাপতি আছিল পদ্মনাথ গোহাঁঞি

বৰুৱাদেৱ। অসম ছাত্ৰ সম্মিলনৰ অধিবেশনত ছাত্ৰসকলৰ সৌজন্যতে অসম সাহিত্য সভাৰ মঞ্চ গঠন হৈছিল আৰু প্ৰথম অধিবেশন হৈছিল শিৱসাগৰত। এইবাবে ছাত্ৰসকল আজিও সাহিত্য সভাৰ প্ৰিয়পাত্ৰ হৈ আছে আৰু ছাত্ৰসকলেও আজি পৰ্যন্ত সাহিত্য সভাক সহায় সহযোগ আগবঢ়াই আহিছে। ছাত্ৰসকলে স্বেচ্ছাসেৱক হৈ সাহিত্য সভালৈ আজিও অকুণ্ঠ সহযোগিতা আগবঢ়াইছে। তাৰ বাবে ছাত্ৰসকল সাহিত্য সভাৰ ধন্যবাদৰ পাত্ৰ। তৰুণসকলেই বৰ্ষীয়ান সকলক সাহিত্য চৰ্চাৰ মঞ্চ এখন তৈয়াৰ কৰোতে মনে প্ৰাণে খাটি দিছিল। বৰ্তমানেও তৰুণ সকলে 'নবীন লেখক লেখিকা আৰু শিল্পী সমিতি'ৰ জন্ম দিছে। সাহিত্য সভাইও নবীন সকলক সাৱটি লৈ নবীনে-প্ৰবীনে হাত ধৰা ধৰি কৰি সাহিত্য সভাৰ মঞ্চতে মহামেলা পাতিছে। নবীনে-প্ৰবীনে মিলিত হৈ ভাষা জননীৰ পূজাৰ বেদীত ভক্তি অৰ্ঘ্য যাচিছে । কি মহান এই দৃশ্য।

ভাৰতবৰ্ষ—এইখনেই আমাৰ আপোন দেশ, পূণ্যময় ভাৰতবৰ্ষ। এইখন আমাৰ মাতৃভূমি, জন্মভূমি। আমি ভাৰতীয় নাগৰিক।

এইখনেই অসম— ভাৰতৰ পূবদিশত অৱস্থিত এখন মনোমোহা ৰাজ্য। নদ-নদী, পৰ্বত-পাহাৰ, সু বিশাল অৰণ্য, বিস্তীৰ্ণ প্ৰান্তৰৰ মনোমোহা প্ৰাকৃতিক দৃশ্যৰে পৰিপূৰ্ণ এখন সৌন্দৰ্যময় ৰাজ্য। ইয়াৰে অভয়াৰণ্যত বিচৰণ কৰে পৃথিৱীৰ কোনো দেশতে নোপোৱা এক শিঙীয়া গঁড়। ইয়াৰ মাটিৰ ওপৰত ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, আলু, কৰি, বেঙেনা, উৰহি, লাউ, কোমোৰা আদি বিবিধ শস্যৰ খেতি হয়। শস্য, মৎস্য অনুপম এই ৰাজ্য। ইয়াতে খেতি হয় চাহ গছৰ, যাৰ বাবে অসম বিশ্ব বিখ্যাত। ইয়াৰ মাটিৰ তলত আছে তেল, কয়লা, চুণশিল। মাটিৰ তলে ওপৰে প্ৰাকৃতিক সম্পদ বিৰাজমান। এনেহেন ঐশ্বৰ্যশালী ৰাজ্যত আমাৰ জন্ম। আমি ঐশ্বৰ্যশালী অসমীয়া জাতি। প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ এইখন আমাৰ ঐশ্বৰ্যমণ্ডিত ৰাজ্য। বৰ্ণাঢ্য সংস্কৃতিৰে মহিমা মণ্ডিত আমাৰ সংস্কৃতি। অসমখন ভাৰতৰে ৰাজ্য। এই ৰাজ্যত আমি ধৰ্ম সাধন কৰি পৰলোকৰ পথ প্ৰশস্ত কৰিব লাগিব। আমাৰ আত্মাই এই ৰাজ্যতে আধ্যাত্মিক সাধনাৰে ঈশ্বৰত বিলীন হ'বলৈ উন্মুষ হৈ আছে। ইয়াতে সৰ্বধৰ্মৰ সম্বন্ধ ঘটিছে।

দৈহিক ভাৱেও আমি এই ৰাজ্যৰ মাটি, পানী, বায়ু সেৱন কৰি জীৱন ধাৰণ কৰিছোঁ। এই ৰাজ্যই আমাৰ মাতৃভূমি, আমাৰ জন্মভূমি, আমাৰ প্ৰাণৰ অসম। ভূমিপুত্ৰ অসমীয়াসকলৰ জন্মভূমি অসম। ভাৰতৰ ভিন ভিন ৰাজ্যৰ পৰা চাকৰি কৰিবলৈ অহা আৰু ব্যৱসায় সংক্ৰান্তত বসবাস কৰা লোকসকলৰ এইখনেই কৰ্মভূমি। অসমীয়াৰ জন্মভূমি, অনা অসমীয়া ভাৰতীয়ৰ কৰ্মভূমি। অসমীয়াৰ মাতৃভূমি, তেওঁলোকৰ ধাত্ৰীভূমি। অসম মাতৃয়ে ধাই মাকৰ দৰে তেওঁলোকৰ পেটৰ ভাত, কাপোৰ গাত দি লালন পালন কৰিছে। গতিকে মাতৃৰ প্ৰতি সন্তানৰ যি দায়বদ্ধতা ধাত্ৰীৰ প্ৰতিও পালিত পুত্ৰৰ একেই দায়বদ্ধতা নিশ্চয় আছে। আমি দুয়ো দায়বদ্ধ অসমী আইৰ প্ৰতি। আমি দুয়ো ভাই ভায়েই অসম মাতৃৰ কাৰণে নিশ্চয় কিবা মঙ্গলময় কাম কৰিব লগা আছে। আহক ভাইসকল আমি সকলোৱে মিলিজুলি অসমী আইৰ সেৱা কৰোঁ।

ভূমিপুত্ৰ - অসম আমাৰ জন্মভূমি কিন্তু আমাৰ জনজাতি অজনজাতি কোনো গোষ্ঠীৰ জন্মভূমি নাছিল। ককেচিয়ান, মঙ্গোলীয়, অষ্ট্ৰলয়ড আৰু নিগ্ৰোইট এই চাৰিটা মানৱ গোষ্ঠীৰ কোনোটো গোষ্ঠীৰে ইয়াত জন্ম হোৱা নাছিল। মধ্য এচিয়াত ককেচিয়ান, অষ্ট্ৰেলিয়াত অষ্ট্ৰলয়ড, চীনত মঙ্গোলীয় আৰু আফ্ৰিকাত নিগ্ৰোইট গোষ্ঠীৰ জন্ম বুলি নৃতত্ত্ববিদ পণ্ডিতসকলে মত পোষণ কৰে । সেই গোষ্ঠিবিলাকৰ পৰা নানা জাতি প্ৰজাতিৰ জন্ম হয়। এই প্ৰজাতিবোৰেই খাদ্য অন্বেষণৰ বাবে পৃথিৱীৰ ভিন ভিন ঠাইত বিচৰণ কৰে । তেতিয়া জনসংখ্যা অতি তাকৰ আছিল আৰু দেশ বোলা কোনো ঠাইৰে নামকৰণ নাছিল। তেতিয়া দেশ নাছিল, সমগ্ৰ পৃথিৱীয়ে মানুহৰ বিচৰণ ভূমি আছিল। পৰ্বত, পাহাৰ, নদ নদী ভয়াবহ অৰণ্য অতিক্ৰম কৰি দলে দলে মানুহ পদযাত্ৰা কৰি ফুৰিছিল। গছৰ ফল-মুল, জীৱ-জন্তুৰ কেঁচা মঙহ খাই প্ৰাণ ৰক্ষা কৰিছিল আৰু গছৰ ধোন্দত, পৰ্বতৰ গুহাত বাস কৰি জীৱন অতিবাহিত কৰিছিল। সেইফালেৰে চাবলৈ গলে ভাৰততো কোনো মানুহৰ জন্ম হোৱা নাছিল। বিভিন্ন জাতি প্ৰজাতিৰ লোক প্ৰব্ৰজন কৰি আহি ভাৰতত বসবাস কৰিছিল। ভাৰতবৰ্ষ প্ৰব্ৰজনকাৰীৰ দেশ।তেনেদৰে অসমো প্ৰব্ৰজনকাৰীৰ ৰাজ্য। আমি সকলো প্ৰব্ৰজনকাৰীৰ সন্তান। হয়তো কোনোবা আগত আহিছে আৰু কোনোবা পিছত আহিছে; মাজোঁ সময়ৰহে ব্যৱধান। পিছৰ কালত ভৌগোলিক সীমাৰেখাৰে ঠাই আৱদ্ধ কৰি, চৰকাৰ গঠন কৰি দেশ নামে জনাজাত হয়। তেনেদৰে কামৰূপ বা অসমো এখন দেশ হয়। পৃথিৱীৰ বিভিন্ন ঠাইতো দেশ সৃষ্টি হ'ল। নিজৰ দেশৰ সীমাৰেখাৰ বাহিৰৰ দেশবোৰক

বিদেশ বুলি ধৰি ললো। এই বিদেশৰ লোকসকলকে বিদেশী বুলি কোৱা হ'ল পিচৰ কালত। আজি অসমত থকা বিদেশী মানে ভাৰতবৰ্ষৰ বাহিৰৰ অনাদেশৰ মানুহকে বুজায়। বিদেশী বোলা শব্দ পৃথিৱীত দেশ গঠন হোৱাৰ পিছৰ সৃষ্টি।

পণ্ডিতসকলৰ মতে অতি পূৰ্বত পাহাৰ, নদ-নদী, অটব্য অৰণ্যেৰে পৰিবেষ্টিত এই ভূখণ্ড জনশূণ্য আছিল। বৰ্তমানৰ পূৰ্বাঞ্চলকে সামৰি হিমালয় পৰ্বত সাগৰৰ তলিত আছিল। কালৰ গতিত ভূগৰ্ভৰ তাপ আৰু ছাপৰ পৰিবৰ্তনৰ ফলত হিমালয় সমন্বিতে পূৰ্বাঞ্চলৰ ভূখণ্ড লাহে লাহে ওপৰলৈ উঠি আহিল। পৃথিৱীৰ প্ৰচণ্ড তাপ আৰু ছাপৰ বাবে শিলাবৃষ্টি, ভূমিকম্প আগ্নেয়গিৰিৰ উদ্‌গীৰণ আৰু প্ৰবল ঘূৰ্ণি বতাহৰ ফলত ভূখণ্ডৰ অৱস্থা অতিজ্বালাময় হৈ পৰে। সাগৰীয় জীৱ জন্তুৰ মৰাশবোৰ ভূগৰ্ভৰ অন্তৰ্ভাগলৈ গতি কৰিলে। গছ গছনিবোৰ ভূগৰ্ভত পতিত হ'ল। আজিৰ তেলপুং আৰু কয়লা খনি তাৰেই সাক্ষী।

অসমীয়া জাতি গঠনৰ আহিলা : মানুহ প্ৰব্ৰজনকাৰী জীৱ। পৃথিৱীৰ বিভিন্ন স্থানৰপৰা অন্ন অন্বেষণ কাৰণে অটব্য অৰণ্য অতিক্ৰম কৰি মানুহ আহি আহি এই ভূখণ্ড পালে। ফলমূল, জীৱ-জন্তু, মাছ কাছুৱ উদ্ভেনদী দেখি বসতি কৰি বৈ গ'ল। পণ্ডিতসকলৰ মতে অষ্ট্ৰোলয়ড গোষ্ঠীৰ প্ৰজাতিয়ে প্ৰথমে এই ঠাইত বসতি আৰম্ভ কৰে। এই গোষ্ঠীৰে বংশধৰ খাছীয়া সকলে এতিয়া মেঘালয়ত বসতি কৰিছে। কিয়দাংশ বৰ্ণ-সঙ্কৰ হৈ অসমতো অসমীয়া হৈ আছে। তাৰ পাছত উত্তৰ আৰু পূ�ৱপৰা আহে মঙ্গোলীয় গোষ্ঠীৰ প্ৰজাতি, আমাৰ জনজাতি ভাইসকল। বড়ো, ৰাভা, মিছিং, কাৰ্বি, তিৱা, মৰাণ, মটক, ৰবাহী, আহোম, কছাৰী, আদি মঙ্গোলীয় গোষ্ঠীৰ বংশধৰ সকল আজিও অসমত বসবাস কৰি আছে। তাৰ সমসাময়িক ভাৱে নিগ্ৰোইট গোষ্ঠীৰ লোক আহে। এই গোষ্ঠীৰ বংশধৰ নগাপাহাৰত এতিয়াও থকা বুলি পণ্ডিতসকলে অনুমান কৰে। একে সময়তে পশ্চিমৰ পৰা আহে ইন্দোএৰিয়ান বা আৰ্য্যগোষ্ঠীৰ লোক। অ-জনজাতিৰ লোকসকল এই গোষ্ঠীৰে প্ৰজাতি। দ্ৰাবিড় আৰু আলপাইন জাতিৰ লোকো প্ৰব্ৰজন কৰি এই ভূখণ্ডত বসতি কৰে। এই আটাইবিলাক জাতি প্ৰজাতি মিলিয়েই বৰ্তমানৰ অসমীয়া জাতি গঠন হৈছে। অসমীয়া জাতি গঠনত এই তিনিটা গোষ্ঠীৰে প্ৰভাৱ লক্ষ্যণীয়। জনজাতি আৰু অজনজাতি মিলিয়েই অসমীয়া জাতি গঠন হোৱা বুলি কব পাৰি। খিলঞ্জীয়া অসমীয়া মানে মঙ্গোলীয় গোষ্ঠীৰ জনজাতি, যেনে— বড়ো, ৰাভা, মিছিং, কাৰ্বি, তিৱা, আহোম, মৰাণ, মটক, ডিমাছা, কুকি, কছাৰী, মণিপুৰি আদি। অষ্ট্ৰিক গোষ্ঠীৰ খাচিয়া, মুণ্ডা, চাওতাল, শবৰ, কোৰকু, কোল আদি আৰু আৰ্য্য গোষ্ঠীৰ ব্ৰাহ্মণ, কলিতা, কেওট, কায়স্থ, নাথ, হীৰা, কমাৰ, কুমাৰ, নমশূদ্ৰ, চৰাল কৈবৰ্ত্ত ইত্যাদি। ধৰ্ম, জাতি গোষ্ঠীৰ বাহিৰৰ বস্তু। মুছলমান, খৃষ্টান, বৌদ্ধ, জৈন, শিখ আদি ধৰ্মৰ লোকসকল অজনজাতিৰ ভিতৰত পৰে যদিও তেওঁলোকৰ মাজত জনজাতিৰ মানুহো আছে। যেই সেই জাতিৰ লোক যেই সেই ধৰ্মত থাকিব পাৰে। জাতি গঠনত ধৰ্মই প্ৰভাৱ বিস্তাৰ কৰিলেও মূলতঃ ই জাতি গঠনৰ আহিলা নহয়। বিভিন্ন জাতি গোষ্ঠীৰ ৰক্তজীনৰ সংশ্লেষণৰ ফলত অসমীয়া জাতিৰ দেহাবয়ৱত একক ৰক্তজীনৰ আধিপত্য নাই। বৈৱাহিক মিলনৰ ফলত ৰক্তজীনৰ সংশ্লেষণ ঘটিছে। মানৱ গোষ্ঠীৰ কোনোটো প্ৰজাতিৰে বিশুদ্ধ ৰক্তজীন অসমীয়া জাতিত নাই বুলি নৃতত্ত্ববিদ্ পণ্ডিত সকলে কয়।

ভাৰতৰ লোকো কোনো ভূমিপুত্ৰ নহয়। কোনো মানৱ গোষ্ঠীয়ে ইয়াত জন্মলাভ কৰা নাই; কিন্তু মানৱ জাতিৰ চাৰিওটা গোষ্ঠীৰে প্ৰজাতিবোৰে প্ৰব্ৰজন কৰি আহি ইয়াত বসবাস কৰি এই ঠাইকে নিজৰ ওপজা মাটি বা দেশ বুলি শিৰোগত কৰি বিভেদৰ মাজতে মিলনৰ গান ৰচি, অনৈক্যৰ মাজতে ঐক্যৰ সৃষ্টি কৰি এই ঠাইকে ভাৰতবৰ্ষ নাম দি নিজ দেশ বুলি প্ৰাণেৰে অনুভৱ কৰিলে। এই দেশৰ কাৰণে কত লক্ষজনে প্ৰাণ আহুতি দিলে; আজিও ভাৰতবাসীয়ে দেশাত্মবোধত উদ্বুদ্ধ হৈ নিজৰ দেশৰ মঙ্গলৰ বাবে প্ৰাণ আহুতি দিবলৈ প্ৰস্তুত। যুগে যুগে এই দেশলৈ প্ৰব্ৰজনকাৰী আৰু আক্ৰমণকাৰী আহি শেষত ইয়াতে ভাৰতীয় জাতিত মিলি গৈ ভাৰতীয় নাগৰিক হৈ পৰিল। অনার্য্য আহিল, আৰ্য আহিল, অষ্ট্ৰিক আহিল, দ্ৰাবিড় আহিল, মঙ্গোলীয় আহিল, নিগ্ৰো আহিল— বসতি কৰি মিলি গ'ল এক ভাৰতীয় হৈ। শক আহিল, হুন আহিল, গ্ৰীক, যবন, মোগল, পাঠান আহিল আক্ৰমণকাৰী ৰূপে। সংঘৰ্ষৰ মাজেৰে, যুদ্ধৰ মাজেৰে, কালাতিপাত কৰি শেষত মিলনৰ সেতু বান্ধিলে। যুদ্ধৰ পিছত শান্তি স্থাপন কৰি সম্প্ৰীতিৰে বসবাস কৰি, এইখনে আমাৰ মহান ভাৰতবৰ্ষ বুলি, নিজৰ জন্মভূমি আপোন দেশ বুলি আঁকোৱালি লৈ প্ৰীতিৰে জীৱন যাপন কৰিলে। যুগে যুগে এই দেশলৈ প্ৰব্ৰজনকাৰী আহি, আক্ৰমণকাৰী আহি ইয়াতে ভাৰতীয় জাতি হৈ মিলি গ'ল। বিভেদৰ মাজত অভেদ আনি, অনৈক্যৰ মাজত ঐক্য স্থাপন কৰি সুখে সন্তোষে জীৱন অতিবাহিত কৰিলে। আজি আমি এই মহামিলনৰ দেশ ভাৰতবৰ্ষত বাস কৰি ধন্য হৈছোঁ। "ধন্য ধন্য কলি কাল, ধন্য নৱতনু

ভাল, ধন্য ধন্য ভাৰত ৰিষ" বোলা বৈষ্ণৱ কবিৰ কণ্ঠ নিসৃত ধ্বনিয়ে আমাত একত্রিত কৰি ৰাখিছে। এই পূণ্য ময় ভাৰতৰ পূণ্যতীর্থ অসমত বাস কৰি আমাৰ জীৱন ধন্য হৈছে।

জাতি ঃ মানুহ, জাতি, মাটি, ভাষা, সাহিত্য, সংস্কৃতি এই আটাইকেইটাই হ'ল আমাৰ আলোচ্য বিষয়। ইয়াকে আলোচনা কৰোতে আমি উপলব্ধি কৰোঁ জীৱনক। জীৱনৰ শাশ্বত ৰূপ উপলব্ধিৰ এই কেইটাই প্রধান উপাদান। ধর্মৰ পাৰত্রিক দিশৰ বাহিৰে ঐহিক দিশত এইবোৰেই আমাৰ উপলব্ধিৰ বিষয়।

মানুহে জন্মি আহোঁতে একো আনিব নোৱাৰিলেও দেহটিৰ লগতে মুখৰ মাত আষাৰো লৈ আহে। ইয়াৰ নাম ভাষা বুলি আমি কওঁ। এটা জাতি হ'ব লাগিলে তাৰ ভাষা থাকিব লাগিব, ভাষা সমৃদ্ধ হ'ব লাগিলে তাৰ শব্দ সম্ভাৰ প্রচুৰ থাকিব লাগিব, তেতিয়াহে ভাষা প্রকাশিকা শক্তিৰে শক্তিমন্ত হৈ সবল সুস্থ সাহিত্য সৃষ্টি কৰিব পাৰে আৰু বিকশিত সাহিত্যৰ মাধ্যমেৰে জাতীয় সংস্কৃতি প্রকাশ আৰু প্রচাৰ কৰিব পাৰে। জাতি নেথাকিলে ভাষা থাকিব ক'ত? ভাষা নেথাকিলে সাহিত্য সৃষ্টি হ'ব কিহেৰে? আৰু সাহিত্য নেথাকিলে সংস্কৃতিৰ বিভিন্ন দিশ প্রকাশিত হ'ব কেনেকৈ? এই মৌলিক প্রশ্ন কেইটা এনেভাৱে জড়িত যে এটাৰ অবিহনে আনটোৰ অস্তিত্ব নিৰর্থক হৈ পৰে। যদি ভাষা কোৱা মানুহে নেথাকে তেন্তে ভাষা ক'ৰ কোনে? তাৰ কাৰণে আমি প্রথমে জাতিৰ কথা মনত ৰাখিব লাগিব। অৱশ্যে এটা জাতি বুলিলে কেৱল এটা ভাষা কোৱা মানুহকে নুবুজায়। বিভিন্ন ভাষা-ভাষী মানুহে এটা ভৌগোলিক পৰিবেষ্টনীৰ মাজত আৱদ্ধ হৈ এক ৰাজনৈতিক শাসনৰ তলত বসবাস কৰি উমৈহতীয়া আর্থ-সামাজিক অৱস্থাৰ মাজত জীৱন-যাপনেৰে পৰস্পৰ মিলাপ্রীতিৰে এটা জাতিত পৰিণত হয়। সেই কাৰণে বিভিন্ন ভাষা-ভাষী লোক একগোট হৈ এক ৰাজনৈতিক পৰিবেশত, একে ভৌগোলিক বেষ্টনীৰ মাজত, একে অর্থনৈতিক ব্যৱস্থাত আৰু সামাজিক দায়বদ্ধতাত একত্রিত হৈ অসমীয়া জাতি বুলি পৰিগণিত হৈছে। যিহেতু অসমৰ জনজাতি আৰু অজনজাতি সংমিশ্রিত হৈ অসমীয়া জাতিৰ সৃষ্টি হৈছে; সেই হেতুকে অকল আর্য্যগোষ্ঠী সম্ভূত অজনজাতি সমূহে অসমীয়া জাতি বুলি দাবী কৰিব নোৱাৰে। আনফালে মঙ্গোলীয়, অষ্ট্রিক গোষ্ঠীৰ জনজাতি সকলেও কোনো দাবী কৰাৰ থল নাই। অসমীয়া জাতি নানা প্রজাতিৰ জাতীয় দ্বীপপুঞ্জ। সুকীয়া সুকীয়া জাতি-প্রজাতি একলগ হৈ জাতিপুঞ্জৰ সৃষ্টি হৈছে। প্রত্যেক প্রজাতিৰে স্বতন্ত্র অস্তিত্ব আছে আৰু থাকিবই। কোনো প্রজাতিৰ ওপৰত কোনো প্রজাতিৰে প্রভুত্ব কৰাৰ অধিকাৰ নাই। সেইবাবেই স্বনিয়ন্ত্রণৰ দাবী সকলোৱে কৰিব পাৰে আৰু স্বতন্ত্রত জাতিসত্তাৰ সুকীয়া অস্তিত্ব ৰক্ষাৰ দাবী কৰিব পাৰে। স্বতন্ত্রতাৰ দাবী কৰিলেও উমৈহতীয়া ভাৱে একলগ হৈ অসমীয়া জাতি হৈ থাকিব লাগিব। অসমীয়া জাতিটো আজি ভয়ঙ্কৰ বিপদৰ সম্মুখীন হৈছে। আমাৰ অস্তিত্বৰ সংকট আহি পৰিছে। এই সন্ধিক্ষণত অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ কথাহে চিন্তা কৰিব লগা হৈছে। মনত ৰাখিব লাগিব সদা সতর্ক দৃষ্টি নেৰাখিলে অসমীয়া জাতিৰ বিপদ আছে। আমি জনজাতি অজনজাতি বুলি বিভেদ ভাৱ আনিলে পিছত বাহিৰৰ পৰা অহা অনধিকাৰ প্রবেশকাৰীৰ আগ্রাসন অধিক হ'ব আৰু কালক্রমত আমি সংখ্যালঘিষ্ঠ অৱস্থা প্রাপ্ত হম। তেতিয়া গণতন্ত্রৰ ৰাজনৈতিক কাৰণবশতঃ আমাৰ নিজৰ ৰাজ্যতে আধিপত্য হেৰুওৱাৰ সম্ভাৱনা আছে। সেয়েহে আমি সচকিত হৈ পৰিছোঁ।

জাতীয় সমস্যা ঃ অসমীয়া জাতিৰ জাতীয় চেতনাৰ আজি অৱক্ষয় আৰম্ভ হৈছে। অধিক সংখ্যক লোকেই আত্মকেন্দ্রিক হৈ পৰিছে; বিভেদকামী ভাৱ প্রকট হৈ উঠিছে। বহিঃ আক্রমণতকৈও অর্ন্ত বিপ্লৱ অতি ভয়ঙ্কৰ। পূর্বতে জনজাতিৰ দীঘেৰে অজনজাতিৰ বাণিৰে অসমীয়া জাতি বোলা ফুলাম গামোছাখন বোৱা হৈছিল। আজি যদি জনজাতি দীঘ সূতাখিনি উলিয়াই নিয়া হয় তেন্তে অজনজাতিৰ বাণিৰ সূতাখিনিও আপোনা আপুনি সূতা হৈ পৰি ৰ'ব; কাপোৰ হৈ নেথাকে। ইফালে জনজাতি দীঘ সূতাখিনি সূতা হৈ সিঁচৰিত হৈ ৰ'ব। কাপোৰ হৈ নেথাকিব। যদি প্রয়োজনৰ তাগিদাত কাপোৰ তৈয়াৰ কৰিব লগা হয় তেনেহলে দুয়োখন সৰু সৰু কাপোৰহে তৈয়াৰ হ'ব, তেতিয়া বাহিৰৰ বহল কাপোৰেৰে দুয়োখনকে ঢাকি ৰাখি অস্তিত্ব বিপন্ন কৰাৰ সম্ভাৱনাই দেখা দিব। ওচৰতে এখন বৰ ডাঙৰ কাপোৰ আছেই আৰু সেই কাপোৰৰ আঁচলৰ আগ এটা ডেৰশ বছৰৰ পৰা উৰি উৰি আহি আছে। এই সম্ভাব্য বিপদৰ কথা চিন্তা কৰি চিন্তাশীল দূৰদর্শী অগ্রজসকলে আমাক সাবধান বাণী শুনাই থৈ গৈছে। আমি জনজাতি অজনজাতিৰ দীঘ বাণিৰ সূতাই সতর্ক দৃষ্টি ৰাখিব লাগিব। পৃথিবীৰ ইতিহাসৰ পাততে বহু উদাহৰণ আছে একোটা ৰিৰাট জাতিৰ অস্তিত্ব বিলোপৰ মর্মন্তুদ কাহিনী; একোটা শক্তিশালী ভাষাৰ বিপর্যয়ৰ দুর্বিসহ ব্যথাৰ কাহিনী।

সেইবাহৈ আমি সন্দিহান হৈ পৰিছোঁ। উদ্বিগ্নতাত আমাৰ মন ম্ৰিয়মান হৈ পৰিছে। বিপন্ন চিন্তাই মানুহক মস্তিষ্কহীন কৰি তুলিব পাৰে। সেই কাৰণে আজি আমি উভয়ে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে ইমান ব্যাকুল, ইমান সন্দিহান! সকলো কাম ধীৰে সুস্থিৰে চিন্তা কৰিলেহে কৃতকাৰ্য হ'ব পাৰি। আমিও সুস্থিৰ চিন্তাৰে আগবাঢ়িব লাগিব।

আমাৰ আশা আমি ভাষাৰে প্ৰকাশ কৰোঁ। আমাৰ আকাঙ্খা আমি কৰ্মেৰে ৰূপায়িত কৰোঁ। আশা আৰু আকাঙ্খাইহে মানুহৰ স্বৰূপ নিৰ্ণয় কৰে। ব্যক্তিৰ ক্ষেত্ৰত যি, জাতিৰ ক্ষেত্ৰতো সেয়ে।

বজাৰৰ পণ্যদ্ৰব্যৰ দৰে হৈ পৰিছে আজিৰ মানুহৰ জীৱন। ধনেৰেহে যেন মানুহক জোখা হ'ব ধৰিছে—গুণেৰে নহয়। সেই বাবেই বৰ্তমান যুগ ধন সংগ্ৰহৰ যুগত পৰিণত হৈছে। এই যুগ যেন ধন আহৰণৰহে যুগ। এচাম ৰাজকৰ্মচাৰী ভেটিখোৰ, এচাম কাৰবাৰী কলা বেপাৰী, এচাম ৰাজনৈতিক নেতা হৈছে অসৎ লম্পট। ৰাজ ভাণ্ডাৰ লুট কৰাৰ কাৰবাৰখন পূৰ্ণোদ্যমে চলি আছে এচাম ৰাজনৈতিক দালালৰদ্বাৰা। সমাজৰ ৰৰমুৰীয়াসকল হৈ পৰিছে চোৰ, ডকাইত-অপকৰ্মকাৰীইতৰ হাতৰ পুতলা। মানুহ হীনমন্যতাত ভুগিছে, অসতৰ মুখ উজ্জ্বল হৈ পৰিছে, সৎ লোকৰ মুৰ নতজানু হ'ব ধৰিছে। এই সামাজিক অৱক্ষয়ে দেশ চানি ধৰিছে। এচাম চোৰ, ডকাইত, লম্পট, ধুৰন্ধৰ আজি ৰাজনৈতিক নেতা হৈ সমাজ জীৱন কলুষিত কৰিবলৈ ধৰিছে। ইইঁতৰ হাতত দেশ আজি শেষ। এই জাতিৰ অপমান, সমাজৰ স্খলন ৰোধ কৰিব লাগিব সমাজৰ লোক সকলেই। সাহসেৰে একগোট হৈ এই সামাজিক অন্যায় দূৰ কৰি জাতিক সুস্থ সবল কৰিব লাগিব। এইসকলক নিৰ্মম ভাবে গৰিহণা দি সামাজিক ভাবে ঘৃণাৰ চকুৰে চোৱা ব্যবস্থা কৰিলে সুস্থ সমাজ গঢ়িব পৰা হ'ব। তেতিয়া লুটিয়াৰ সকল অপমানিত হৈ আপোনা-আপুনি লজ্জিত হৈ ধন লিপ্সা ত্যাগ কৰিব। অহিংস প্ৰতিৰোধেৰে হিংসাৰ নিবৃত্তি ঘটাব লাগিব। এই ক্ষেত্ৰত দুৰ্নীতিপৰায়ণ নেতাৰ পদলেহনকাৰী, ধনলোভী এক শ্ৰেণী সামাজিক প্ৰতিপত্তি শালী লোকো বহু পৰিমাণে জগৰীয়া। তেওঁলোকৰ বিতৰ্কিত চৰিত্ৰই সামাজিক প্ৰমুল্য বহু পৰিমাণে অৱনমিত কৰিছে। জাতিৰ উত্তৰণৰ পথত অন্তৰায় হৈছে। উচ্চ শ্ৰেণীৰ ব্যক্তিৰ স্খলনেই সমাজৰ স্খলনত বহু ক্ৰিয়া কৰে। এই স্খলন ৰোধ কৰিব লাগিব। জাতি ধৰ্মৰ নামত এক শ্ৰেণীৰ নেতাই ৰাজনীতিৰ যি জাল তৰিছে, সেই জাল ফালিব লাগিব। এতিয়া এনে দিন পৰিছে, চৰকাৰী চাকৰি বহু হেজাৰ ... গ দিহে লাভ কৰিব পাৰে। অৰ্থাৎ টকাৰেহে চাকৰি কিনিব পাৰি। এইবোৰৰ প্ৰতিৰোধ কৰিবলৈ দৃঢ় সংকল্পবদ্ধ হ'ব লাগিব। আজিৰ ডেকাসকল সমাজৰ ঘৃণিত ব্যক্তি হ'বনে, পূজিত ব্যক্তি হ'ব তাক নিৰ্ণয় কৰিব তেওঁলোকৰ কৰ্মহীহে। এই কথা আমি সকিয়াই দিব লাগিব। অসমীয়া জাতিয়ে এতিয়ালৈ তিনি ঠেকেচা খাইছে। প্ৰথম ঠেকেচা খাইছিল মোৱামৰীয়া বিদ্ৰোহত, দ্বিতীয় ঠেকেচা খাইছিল মানৰ আক্ৰমণত আৰু তৃতীয় ঠেকেচা খাই আছে বিদেশী প্ৰব্ৰজনত।

আহোম ৰাজত্ব কালত মোৱামৰীয়া বিদ্ৰোহত অসমীয়া মানুহ দিহিঙে দিপাঙে পলায়ন কৰিব লগা হৈছিল। দেশৰ প্ৰজাৰ জীৱনৰ নিৰাপত্তা নাইকিয়া হৈছিল, জাতিৰ ভেঁটি থৰক-বৰক কৰি লৰিছিল।

তাৰ পিছৰ কালত বিদেশী মানৰ অত্যাচাৰত অসমীয়া প্ৰজাৰ বিলৈ বিপত্তি কুলাই পাচিয়ে নধৰা হৈছিল। অসমীয়া গুছি ভগনীয়া হৈ ফুৰিব লগা হৈছিল। তথাপি প্ৰাণ ৰক্ষা নপৰিছিল। জাতিৰ মেৰুদণ্ড ভাগি পৰিছিল। আহোম ৰজাৰ প্ৰধানমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু বদন ৰৰফুকনৰ মাজত মনোমালিন্য হৈছিল। বদন ৰৰফুকন গুৱাহাটীস্থ নামনিৰ শাসনকৰ্তা আছিল। দুই ডাঙৰীয়া মিতিৰ আছিল, কিন্তু ক্ষমতাৰ লালসাত ঈৰ্ষাবশতঃ দুয়োৰো মাজত মনোমালিন্য ঘটিল; দুই প্ৰশাসকৰ মাজত ক্ষমতা দখলৰ কাজিয়াৰ ফলস্বৰূপে অসমীয়া জাতিয়ে পালে মানৰ আক্ৰমণ। অসমীয়া জাতিৰ পুলি পোখা মৰা দিন আহিল। ভাগ্যে বিদেশী ইংৰাজ আহি বিদেশী মানক খেদি দেশখন সুস্থিৰ কৰিলে, কিন্তু স্বাধীনতা হৰণ হ'ল। আজিও দেশত বিদেশী সমস্যাৰ অন্ত নপৰিল।

বৰ্তমানেও দেশত বিদেশী নাগৰিকৰ অনুপ্ৰবেশে দেশৰ মাটি কঁপাই তুলিছে। কাকতি ফৰিঙৰ দৰে দলে দলে ৰাজ্যৰ সীমা অতিক্ৰম কৰি ভাৰতত বিদেশীয়ে প্ৰবেশ কৰিবলৈ ধৰিছে। অসমতো প্ৰবেশ কৰিছে। অদূৰ ভৱিষ্যতে এই ৰাজ্য স্বদেশীৰ নহৈ বিদেশীৰহে যেন হবগৈ। দুষ্ট ৰাজনৈতিক নেতাৰ উচতনিত এই দেশ দখলৰ অভিযান চলি আছে। কেইটামান ভোট ভিক্ষাৰী ৰাজনৈতিক দলৰ মৌন সম্মতিয়ে বিদেশীক যথেষ্ট সুযোগ দিছে। বিদেশীৰ অনুপ্ৰবেশে অসম ৰাজ্য ঠানবান কৰি দিয়াৰ যোগ দেখা গৈছে। দেশৰ মানুহ সজাগ হ'ব হ'ল। কেৱল দেশাত্মবোধৰ কবিতা বা গান গালেই দেশ ৰক্ষা নপৰে; তাৰ

বাবে কার্যকাৰী বাস্তৱ ব্যৱস্থা হাতত ল'ব লাগে। দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰত নিমগ্ন ৰাজনৈতিক দল বা নেতাৰ স্বাৰ্থপূৰণৰ আহিলা হিচাপে ব্যৱহৃত হ'লে অসমীয়া জাতি টিকি থাকিব নোৱাৰিব। এনে ধৰণৰ ৰাজনৈতিক নেতা বিলাকক সংযত কৰি বিদেশী প্ৰব্ৰজন বন্ধ নকৰিলে অসমীয়া জাতিৰ কাল চমু চাপি আহিব। এতিয়াও দেশৰ মানুহৰ সজাগ হৈ জনমত গঠন কৰি অহিংস ভাৱে প্ৰতিৰোধ কৰিব লাগিব।

আমি দুৰ্নীতি, ভ্ৰষ্টাচাৰ, পাপাচাৰ দূৰ কৰিবলৈ কঁকালত টঙালি বান্ধি আগ বাঢ়িব লাগিব। দুৰ্নীতি, অশান্তি আৰু নিৰাপত্তাহীনতাত ভুগি আজি মানুহ হতাশা-গ্ৰস্ত হৈ পৰিছে। ইফালে ভূতৰ ওপৰত দানহ স্বৰূপে সন্ত্ৰাসবাদ আহিছে। সন্ত্ৰাস বাদৰ কৰাল গ্ৰাসত পৰিছে দেশৰ মানুহ। এফালে বেচৰকাৰী সন্ত্ৰাসবাদ, আনফালে চৰকাৰী সন্ত্ৰাসবাদ। হত্যা, লুণ্ঠন, অপহৰণ, ধৰ্ষণ যেন আমাৰ নিত্য সহচৰ। নিৰস্ত্ৰজনক গুলীয়াই হত্যা কৰা হৈছে-নিৰ্বিচাৰে নিৰ্বিবাদে। প্ৰতিবাদৰ কণ্ঠ ৰুদ্ধ আজি। বন্দুকৰ নলীত ন্যায় আৰু সত্য আজি কম্পমান। পলে পলে মৃত্যুক্ষণ গণি আছে দেশৰ নিঃসহায় জনতা। বেচৰকাৰী বন্দুকধাৰীৰ গুলীৰ আৱাজত জনসাধাৰণৰ মন ভীত, সংকুচিত। আনফালে এই বেচৰকাৰী মাৰণাস্ত্ৰ নিৰস্ত্ৰ কৰিবৰ বাবে গৰ্জ্জি উঠিছে চৰকাৰী মাৰণাস্ত্ৰ বেচৰকাৰী সন্ত্ৰাসবাদ নিৰ্মূল কৰিবৰ বাবে চৰকাৰী মাৰণাস্ত্ৰৰ অবাধ প্ৰচলন চলিছে। বেচৰকাৰী সন্ত্ৰাসবাদ নিৰ্মূল কৰিবৰ বাবে চৰকাৰী সন্ত্ৰাসবাদ আৰম্ভ হৈছে। দুই মহৰ যুঁজত বিৰিণাৰ মৰণ। কাৰণ অবিহনে কাৰ্য্য সংঘটিত নহয়। গতিকে সন্ত্ৰাসবাদৰ মূল কাৰণ উদঘাটন কৰি তাক নিৰ্মূল কৰিব পাৰিলেহে সন্ত্ৰাসবাদৰ কাৰ্য্য বন্ধ হ'ব। দুৰ্নীতি আৰু দাৰিদ্ৰ্যই সন্ত্ৰাসবাদৰ মূল কাৰণ দেশৰপৰা দুৰ্নীতি বোধ কৰি দৰিদ্ৰতা দূৰ কৰিব পাৰিলেহে সন্ত্ৰাসবাদ দূৰ হ'ব। যিমান দিন দেশত দুৰ্নীতি চলি থাকিব, সিমান দিন দৰিদ্ৰতা আঁতৰ নহ'ব আৰু সন্ত্ৰাসবাদ চলিয়েইথাকিব। গতিকে প্ৰথমে দেশৰ দুৰ্নীতি দূৰ কৰক। যিমান দিন উৎকোচ গ্ৰহণ, স্বজনপ্ৰীতি, ক'লাবজাৰ, ধন আত্মসাৎ, ৰাজভাণ্ডাৰ লুণ্ঠন চলিব, সিমান দিন হত্যা, লুণ্ঠন, অপহৰণ, ধৰ্ষণ চলিব। মুখত শান্তিৰ শ্লোগান চলালে কি ফল হ'ব? কেৱল মাত্ৰ আইন শৃংখলাৰ অবনতিহে ঘটিব। এতিয়া অসমীয়া জাতিসত্তাৰ বিলোপৰ তালিমহে চলিছে। চৰকাৰী-বেচৰকাৰী দুয়োটা সন্ত্ৰাসবাদকে আমি গৰিহণা দি সমানে বাধা দিব লাগিব। চৰকাৰী হওঁক কিম্বা বেচৰকাৰী সন্ত্ৰাসবাদেই হওক সকলো সন্ত্ৰাসবাদে ঘৃণাৰ্হ। দুয়োটাই আমাৰ মুখৰ মাত আৰু পেটৰ ভাত বন্ধ কৰিছে। গণতান্ত্ৰিক দলৰ যিকোনো চৰকাৰেই প্ৰথমে ভাৱে চৰকাৰী গাদীৰ কথা, তাৰ পিছত ভাবে দলৰ কথা। গাদী পাব লাগিলে দলৰ জয় হবই লাগিব। সেই বাবেই তেওঁলোকে ভাৱে নিজৰ দলৰ কথা ভোটৰ কথা; দেশৰ কথা পিছতহে ভাৱে। স্বয়ম্ভু সন্ত্ৰাসবাদীয়ে প্ৰথমে ভাবে ধনৰ কথা, অস্ত্ৰ-শস্ত্ৰৰ কথা, পিছতহে ভাবে জন সাধাৰণৰ কথা। জনসাধাৰণৰ কথা প্ৰকৃততে কোনোৱে নেভাৱে। কেৱল জনসাধাৰণৰ উপকাৰ কৰিম বুলি নিজৰ নিজৰহে উপকাৰ সাধন কৰে। বৰ্তমান জনসাধাৰণ কাৰো পৰা উপকৃত নহয়।

নৈতিক অধঃপতন হলে জাতি বিপথগামী হয়। সুস্থ চিন্তা হব ক'ৰ পৰা? কিন্তু সুস্থ চিন্তা অবিহনে সুস্থ জাতি সৃষ্টি হ'ব নোৱাৰে। সেইবাবে সাহিত্যিক, শিল্পী, সাংবাদিকসকলে এবাৰ দ'কৈ ভাবি চাবৰ সময় হ'ল।

প্ৰতিকূল পৰিস্থিতিক অনুকূল কৰিব পৰাতহে মানুহৰ কৃতিত্ব। আজি আমাৰ দেশত প্ৰতিকূল পৰিস্থিতিৰ সৃষ্টি হৈ দেশৰ বাতাবৰণ কলুষিত কৰি তুলিছে। সামাজিক পৰিবেশ আৰু মানসিক পৰিমণ্ডল ধূৱলী-কুঁৱলী হৈ জনসাধাৰণক বিভ্ৰান্ত কৰি তুলিছে। এই বিভ্ৰান্তি দূৰ কৰি দেশৰ শান্তি, সমৃদ্ধি ফিৰাই অনাৰ বাবে প্ৰত্যেক ব্যক্তিয়ে সৎভাৱনাযুক্ত হৈ সৎ কৰ্মত নিজক নিয়োজিত কৰিব লাগিব। এই ক্ষেত্ৰত মানসিক ভাৱসাম্য স্থিৰ ৰাখিবৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিব লাগিব।

আমাৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু জাতীয় অস্তিত্ব ৰক্ষাৰ নতুন পদক্ষেপ দিব লাগিব। হতাশা, নিৰাশা, আৰু দুৰ্বলতা ত্যাগ কৰি নৱ উদ্যমেৰে কৰ্মত প্ৰবৃত্ত হ'ব লাগিব। দেশৰ মানুহ জাগি উঠক।

"উত্তেজিত জাগ্ৰত প্ৰাপ্য ৱৰান্নিবোধতঃ।" উঠক, জাগক দেশৰ মানুহ! জাতি গঠনত ভাষাৰ প্ৰয়োজন অনস্বীকাৰ্য। জাতিৰ পিছতে আহি পৰে ভাষাৰ কথা। ভাষাৰ ক্ষেত্ৰত আমি উন্মাসিক হৈ কাৰো প্ৰতি আগ্ৰাসী নহয়। কিন্তু নিজৰ স্থিতি আৰু ভৱিষ্যতৰ অস্তিত্বৰ বাবে সতৰ্ক হ'ব লাগিব। অসমীয়া ভাষাৰ স্থিতি দুৰ্বল কৰি এক শ্ৰেণীৰ ন্যস্ত স্বাৰ্থৰ লোকে নিজৰ নিজৰ স্বাৰ্থ বজাই ৰাখি জাতিৰ স্বাৰ্থ হেয় প্ৰতিপন্ন কৰিবলৈও কুণ্ঠাবোধ নকৰা হৈছে। ফলস্বৰূপে অন্য ভাষাৰ আগ্ৰাসনৰ তালিম চলি আছে। কেন্দ্ৰীয় চৰকাৰৰ ত্ৰিভাষিক সূত্ৰ অচল কৰি বহু ভাষিক ৰাজ্য কৰিবৰ বাবে তলে তলে অহৰহ চেষ্টা চলি আছে। অসমত

অসমীয়া ৰাজ্য ভাষা হৈও অৱশেষত অসমীয়া ভাষা এলাগী হৈ পৰিব। আজি অসমৰ কোনো কোনো অঞ্চলত অসমীয়া ভাষা উপেক্ষিত হৈ আছে। তেনেদৰে অৰুণাচলত অসমীয়া ভাষা সংযোগী ভাষা হোৱা সত্বেও আজি তাত নিচিহ্ন হ'ব লগা হ'ল। নগা, খাচীয়া, গৰো, মিজো ভাইসকলৰ মাজৰ পৰাও সংযোগী অসমীয়া ভাষা বিতাৰিত হ'ল। ইংৰাজীয়ে তাৰ ঠাই দখল কৰিলে। তেওঁলোকে আজি আমাক সম্প্ৰসাৰণবাদী বুলি ভাবে; অথচ তেওঁলোকৰ পূৰ্বপুৰুষ,সকলে অসমীয়া মানুহৰ মুখৰ মাত মাতি পেটৰ ভাত অসমীয়াৰ লগতে একেখন কাঁহীতে খাইছিল। ন্যস্ত স্বাৰ্থ জড়িত লোকৰ প্ৰৰোচনাত আৰু ইংৰাজীৰ দালাল সকলৰ ফুচুলনিত নতুন চামে আমাক অৱজ্ঞা কৰা হ'ল— কাঁহী বেলেগ কৰিলে আমি কিন্তু কাৰো ওপৰত ভাষা জাপি দিবলৈ নাযাওঁ। প্ৰয়োজনৰ খাতিৰতহে মানুহে ভাষা শিকে। ব্যৱসায়-বাণিজ্য আৰু আদান প্ৰদানৰ ফলত ভিন্ন গোষ্ঠীৰ মানুহৰ মিলন ঘটে। কাকো বাধ্য কৰি ভাষা দান কৰিব নোৱাৰি আমাৰ আৱহমান কালৰ প্ৰীতিৰ জৰীগছ কুতৰ্কীসকলে ছিণ্ডি দিলে। ইয়াৰ দ্বাৰা অকল আমিহে যে ক্ষতিগ্ৰস্ত হলো তেনে নহয়। তেওঁলোকো ক্ষতিগ্ৰস্ত হ'ল। আমি বুজাবুজিৰ মাজেৰে আলোচনাৰ জৰিয়তে পূৰ্বৰ সদ্ভাব ফিৰাই আনিব লাগিব। অসমীয়া ভাষাৰ প্ৰতি সহৃদয়তাৰ পৰিবেশ ৰচনা কৰি ভিন্ন ভাষী লোকৰ মন আকৰ্ষণ কৰিব পাৰিলে নিশ্চয় কৃতকাৰ্য হ'ব পৰা যাব। তাৰ কাৰণে অসমীয়া মৌলিক গ্ৰন্থ কিছুমান ইংৰাজী, হিন্দী, বাংলা, উৰিয়া, নেপালী, তামিল, তেলেগু, কানাড়ী, মালায়লম আদি ভাষালৈ অনুবাদ কৰি অসমীয়া জাতিৰ হৃদয়ৰ খবৰ জনাব লাগিব; আৰু আমাৰ অসমৰ জনজাতি ভাই সকলৰ বিভিন্ন ভাষালৈও অনুবাদ আগবঢ়াব লাগিব। দৈনন্দিন জীৱনৰ অপৰিহাৰ্য্য বস্তু নিৰ্মাণৰ বাবে বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ হাতপুথি লিখি প্ৰকাশ কৰিলে আৱশ্যকতাৰ কাৰণে তেওঁলোকে অসমীয়া কিতাপ কিনিব। ফলস্বৰূপে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধি পাব। তাৰ কাৰণে অসমৰ পাঁচখন বিশ্ব-বিদ্যালয়, প্ৰকাশন পৰিষদ, বেচৰকাৰী প্ৰকাশন প্ৰতিষ্ঠান আৰু অসম সাহিত্য সভাই হাত ধৰা-ধৰি কৰি আগবাঢ়িলে নিশ্চয় সুফল পোৱা যাব। অসমত অনেক বেচৰকাৰী প্ৰকাশন প্ৰতিষ্ঠান আছে। এওঁলোকে এই কাম হাতত ললে বৰ সুখৰ কথা হয়। কিন্তু চৰকাৰে পাঠ্যপুথিৰ ব্যৱসায় নিজৰ হাতলৈ নিয়াত তেওঁলোক আৰ্থিক দিশত বৰ নিশকটীয়া হৈ পৰিছে। যদি পাঠ্যপুথিৰ কিয়দাংশ তেওঁলোকৰ হাতত দিয়া যায় তেতিয়া তেওঁলোক কিছু উপকৃত হৈ এইবোৰ প্ৰকাশ কৰিলে সমৰ্থ হ'ব। এই বিষয়ে চৰকাৰ আৰু ৰাইজে এবাৰ চিন্তা কৰি চোৱা উচিত। পাঠ্যপুথিৰ বিষয়ে বাতৰি কাকতত বহুত দুৰ্নীতিৰ কথা ওলাইছে। পাঠ্যপুথি নিগমে 'দেশৰ ছাত্ৰ-ছাত্ৰীক নিগমে মাৰিলে' বুলি অভিযোগ উঠিছে। উপযুক্ত সময়ত কিতাপ উলিয়াই দিব নোৱাৰে। প্ৰকৃত প্ৰতিযোগিতাৰে কিতাপ বাছনি নহয়। একশ্ৰেণী উচ্চপদস্থ কৰ্মচাৰীয়ে স্বজনপ্ৰীতি আৰু ধন আত্মসাতত লিপ্ত হৈছে। এইবোৰ অপ্ৰিয় সত্য। চৰকাৰী কৰ্মচাৰী সকলৰ দুৰ্নীতি বাধা দিব নোৱাৰাটো জাতিৰ পক্ষে বৰ পৰিতাপৰ কথা। এই বিষয়ত চৰকাৰে বেচৰকাৰী অনুষ্ঠান, প্ৰতিষ্ঠান আৰু কিতাপ ব্যৱসায়ী সস্থাক কিছু দায়িত্ব দিলে বহু পৰিমাণে খেলিমেলি আৰু দুৰ্নীতিৰ শাম কাটিব বুলি আমাৰ ধাৰণা।

মানৱ জাতিৰ জন্মৰ লগে লগে ভাষাৰ সৃষ্টি। সেই সময়ত ভাষা লিখিত ৰূপত নাছিল। কথিত ৰূপত চলিছিল। ইয়াকে আমি দোৱান বুলি কওঁ। পিছৰ কালত মানুহে লিপি আবিষ্কাৰ কৰিলে আৰু কথিত ৰূপক লিখিত ৰূপত প্ৰকাশ কৰিলে। ব্যাকৰণ আৰু অভিধান ৰচনা কৰি লিখিত ৰূপত সাহিত্যৰো সৃষ্টি কৰিলে। ভাষা আগ, সাহিত্য পিছৰ সৃষ্টি।

জন্মতে মানুহৰ মুখত ভাষা ওলায়। এই ভাষা মানৱ জাতিৰ উমৈহতীয়া ভাষা। ই ইঙ্গিতধৰ্মী ক্ৰন্দনৰ ভাষা। ভূমিষ্ঠ হৈয়েই শিশুৱে ওৱা ওৱাকৈ কান্দে; তাৰ অৰ্থ আমি একো নুবুজো। এই কান্দোন কিন্তু সকলো দেশৰে সকলো শিশুৱে আৰম্ভ কৰে। ই জন্মৰ লগতে লাগি আহে। পিছত এবছৰমান হলেহে মাকৰ ভাষা শিকিবলৈ চেষ্টা কৰে আৰু শিকিও লয়। মানুহৰ জন্মগত ভাষা অন্য জীৱ-জন্তু, চৰাইৰ দৰে ইঙ্গিত ধৰ্মী। মাকে যি ভাষা শিকায় সিয়ে মাতৃ ভাষা। কিন্তু জন্মতে মাক মৰি গ'লে লালন পালন কৰা তিৰোতা গৰাকীৰ মুখৰ ভাষাহে শিকে। এইজনী তাৰ মাতৃ নহয় ধাত্ৰীহে; সেই ভাষা তাৰ ধাত্ৰীভাষা। ইয়াৰ পৰা দেখা গ'ল যে আমি কোৱা ভাষা আয়ত্ত কৰা ভাষাহে। প্ৰকৃতিৰ পৰা পোৱা জন্মগত ইঙ্গিতধৰ্মী ভাষা আমি পাহৰি যাওঁ আৰু মাতৃ বা ধাত্ৰীৰ পৰা আয়ত্ব কৰা ভাষাহে জীৱনত ব্যৱহাৰ কৰোঁ। এই প্ৰশ্নৰ অৱতাৰণা কৰাৰ অৰ্থ হ'ল এই যে মানুহৰ মাতৃভাষা নাইবা ধাত্ৰীভাষা দু য়োটা আয়ত্ত কৰা ভাষাহে। যিহেতু মানুহে প্ৰয়োজনৰ তাগিদাতহে ভাষা কয় বা শিকে সেই হেতু জোৰ জুলুম কৰি কাকো একো শিকাব নোৱাৰি; আৰু তাকে কৰিবলৈ গ'লে সংঘৰ্ষহে হয়। এজন অনা অসমীয়া মানুহে অসমলৈ আহিলে

তেওঁৰ মুখৰ মাতৃভাষাটো লগত লৈ আহিব; কিন্তু অসমত বাস কৰিব লাগিলে তেওঁ অসমীয়া ভাষা ক'ব লগা হ'ব; তেতিয়া তেওঁৰ বাবে অসমীয়া ভাষা ধাত্রীভাষা হ'ব, কাৰণ তেওঁ অসমৰ মাটিত লালিত পালিত হৈ দৈনন্দিন জীৱন যাপন কৰিব লগা হোৱাত প্ৰয়োজনৰ খাতিৰতে অসমীয়া ভাষা শিকিব লাগিব। তাকে নকৰি তেওঁ যদি তেওঁৰ মাতৃভাষা অসমত প্ৰচলন কৰিব বিচাৰে তেন্তে সংঘৰ্ষৰ সৃষ্টি হ'ব। আনফালে বলপূৰ্বক তেওঁক ধাত্রীভাষা অসমীয়া শিকাবলৈ গলে তাতো সংঘৰ্ষৰ সৃষ্টি হ'ব। এই সংঘৰ্ষ অবাঞ্ছনীয়। পিছে আমাৰ ভাৰতীয় সংবিধান মতে যিহেতু ভাষাৰ ভেটিত ৰাজ্য গঠন প্ৰণালী চলিল, যিহেতু ৰাজ্যৰ লোকৰ মাতৃভাষা যি তাকে ৰাজ্যভাষা বুলি স্বীকৃতি দি শিক্ষাৰ মাধ্যম আৰু প্ৰশাসনীয় কাম কাজবোৰ চলোৱা নিয়ম কৰি দিলে। সেইবাবে অসমত বাস কৰিলে অসমীয়া ভাষা শিকিবই লাগিব। ভাষা ভাৱ প্ৰকাশৰ মাধ্যমহে। ইজনে সিজনৰ মনৰ ভাৱ প্ৰকাশ কৰে, ভাষাৰ মাধ্যমেৰে। পৃথিৱীত ২৭৬০ টামান ভাষা আছে। ভাৰতত ১৬৫২ টা ভাষা-উপভাষা আছে। কিন্তু সংখ্যা গৰিষ্ঠতাৰ ভেটিত ষোল্লটা ভাষাকহে সংবিধানে ৰাজ্য ভাষা হিচাপে আজিলৈ স্বীকৃতি দিছে। তাৰে এটা হ'ল অসমীয়া ভাষা।

অসমীয়া ভাষী লোক সংখ্যাগৰিষ্ঠ হোৱা বাবে ১৯৬০ চনতে অসমৰ ৰাজ্যভাষা অসমীয়া কৰা হ'ল। এতিয়া কিন্তু বিদেশী প্ৰব্ৰজনকাৰীৰ প্ৰব্ৰজনৰ ফলত বহিৰাগত সংখ্যা গৰিষ্ঠ হোৱাৰ উপক্ৰম হ'ব বুলি অসমীয়া মানুহ নিজৰ জাতি আৰু ভাষাৰ অস্তিত্বৰ প্ৰতি সন্দিহান হৈ পৰিছে। সেই বাবেই ভীতিগ্ৰস্ত হৈ অসমীয়া মানুহ আবেগ প্ৰৱণ হৈ পৰিছে। তাৰ উপৰি যিসকল লোক ভাৰতৰ অন্য প্ৰান্তৰৰ পৰা আহিছে তেওঁলোকে যদি অসমত নিজৰ নিজৰ মাতৃভাষা ৰাজ্য ভাষা কৰিবলৈ চায় তেন্তে অসমখন এখন বহুভাষী ৰাজ্য হ'ব আৰু চৰকাৰবোৰ ভাষা-নীতি অৰ্থহীন হৈ পৰিব। সেইবাবে শিক্ষাৰ মাধ্যম আৰু চৰকাৰী কাম-কাজ ৰাজ্যভাষা আইন মতে অসমীয়াতে চলাবলৈ কোৱা হৈছে।

এইক্ষেত্ৰত আহোম ৰজাসকল বহু দূৰদৰ্শী আছিল। নিজৰ সংখ্যালঘিষ্ঠতা জানিব পাৰি সংখ্যাগৰিষ্ঠ প্ৰজাসকলৰ ভাষাকে ৰাজ্যভাষা হিচাপে চলাইছিল। আহোমৰ মাতৃভাষা আছিল তাই ভাষা। ১২২৮ খ্ৰীষ্টাব্দত চুকাফাই পাটকাই পৰ্বত অতিক্ৰম কৰি পুৰণি কামৰূপ দেশৰ চাৰিপীঠৰ পূৰ্বদিশত অৱস্থিত সৌমাৰ পীঠত ভৰি দি ৰৰাহী, মৰাণ, চুতীয়া, কছাৰী আদিক পৰাভূত কৰি সৌমাৰ পীঠত ৰাজত্ব কৰে। তেওঁৰ লগত মতা মানুহহে আহিছিল; কোনো তিৰোতা মানুহ অনা নাছিল। সৈন্যসকলে সৌমাৰ পীঠৰ ৰৰাহী, মৰাণ, চুতীয়া আৰু কছাৰীসকলৰ জীয়ৰী বিয়া কৰাইছিল। তেওঁলোকৰ সতি-সন্ততিসকলে মাতৃৰপৰা ৰৰাহী বা কছাৰী নাইবা মৰাণ আদিৰ ভাষা শিকিছিল আৰু পিতৃৰপৰা 'তাই' ভাষা শিকিছিল। পাকঘৰৰ মাকৰ ভাষা ৰৰাহী বা কছাৰী আৰু চ'ৰাঘৰৰ বাপেকৰ ভাষা 'তাই' ভাষা। নিজৰ ঘৰতে দুটা ভাষা আয়ত্ব কৰিছিল। পিছত হাট বজাৰত সংখ্যাধিক্য অজনজাতি লোকৰ সংশ্ৰৱত শিকিছিল কামৰূপী ভাষা বা বৰ্তমানৰ অসমীয়া ভাষা। সেইবাবে কামৰূপী ভাষা ৰাজ্য ভাষা কৰি সুস্থিৰে ৰাজ্য শাসন কৰিবলৈ সক্ষম হৈছিল। আহোমে মাক-বাপেকৰ ভাষা এৰি ৰাইজৰ ভাষাকে গ্ৰহণ কৰিছিল। আহোমসকলৰ দূৰদৰ্শিতা আৰু উদাৰতাৰ পৰিচয় ইয়াতে।

এই অসমীয়া ভাষাৰ গুৰি ক'ত? বিচাৰিবলৈ গলে আমি লগ পাম কামৰূপী ভাষাক। আহোমসকলৰ পৰাই ইয়াৰ নাম অসমীয়া ভাষা হয়। এই কামৰূপী ভাষাটো আৰ্য্যগোষ্ঠী ভাষাৰে এটা ৰূপ। খ্ৰীষ্টাব্দ সপ্তম শতিকাৰ ভাৰত সম্ৰাট হৰ্ষবৰ্দ্ধনৰ ৰাজসভাৰ পৰা চীনা পৰিব্ৰাজক হিউৱেনছাং কামৰূপ অধিপতি কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজসভালৈ আহে। তেওঁ কামৰূপৰ বিষয়ে লিখা টোকাটোত কৈছিল যে "কামৰূপৰ ভাষাটো মধ্যভাৰতৰ ভাষাৰপৰা অলপ বেলেগ"। ইয়াৰ কাৰণ আছিল কামৰূপী ভাষাত বিভিন্ন জনজাতি ভাষাৰ বহুত শব্দ সোমাইছে আৰু ভাষাৰ গঢ়ো ভালেখিনি বদলিছে। বাক্য গাঁঠনিৰ ফালে লক্ষ্য কৰিলেও ইয়াত অনার্য্যমূলীয়া বাক্য গঠন ৰীতিৰ মিল থকা যেন দেখা যায়। এই কামৰূপী ভাষাটো কিন্তু আৰ্য্য মূলীয় ভাষা।

ভাষা তত্ত্বৰ গভীৰ অৰণ্যৰ মাজত বাট বিচাৰি উলিওৱা বৰ কঠিন। নানা মুনিৰ নানা মত। তাৰে মাজৰ দুই এজনৰ মতৰ বা বাটৰ বাটৰুৱা হৈ ক'ব বিচাৰিছোঁ ভাৰতবৰ্ষৰ আৰ্য্যেতৰ জাতিৰ ভষাই সৰ্ব্ব সাধাৰণ ভাষা আছিল, আৰ্য্যসকলৰ আগমনৰ পিছত আৰ্য্য ভাষা প্ৰচলিত হ'ল। আৰ্য্যভাষাৰ (ইন্দোইউৰোপীয়) পৰিমাৰ্জিত পৰিশীলিত ৰূপ বৈদিক ভাষাত পোৱা যায়। আৰ্য্য ঋষিসকলে লিখা বেদৰ শ্লোক সমূহৰ ভাষাক বৈদিক ভাষা বুলি জনা যায়। পিছৰ কালত পাণিনিৰ "অষ্টাধ্যায়ী" ব্যাকৰণৰ কঠোৰ নিয়মৰ বশৱৰ্তী হৈ বৈদিক ভাষাৰ সংস্কাৰ হোৱাত সংস্কৃত ভাষাই ৰূপ পায়। সংস্কাৰৰ পৰা সংস্কৃত। পৰৱৰ্তী কালত

বৈদিকৰ কথিত ৰূপৰ সৰলীকৰণৰ ফলস্বৰূপে পালি ভাষাৰ সৃষ্টি হয়। ই একপ্ৰকাৰ ধৰ্মীয় ভাষা। বৌদ্ধধৰ্ম প্ৰভাৱত ইয়াৰ প্ৰসাৰতা বৃদ্ধি পালে। আশোকৰ শিলালিপি আৰু বুদ্ধদেৱৰ বাণীসমূহ ইয়াৰ নিদৰ্শন। ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ জনসাধাৰণৰ কথিত বৈদিক ভাষা আৰু দ্ৰাবিড়, অষ্ট্ৰিক আদি বিভিন্ন আৰ্য্যবহিৰ্ভূত লোকৰ ভাষাৰ সংমিশ্ৰণত প্ৰাকৃত ভাষাৰ সৃষ্টি হয়। প্ৰাকৃত ভাষা মানে প্ৰাকৃত জনৰ ভাষা। এই প্ৰাকৃতৰ পাঁচটা সাহিত্যিক ৰূপ সৃষ্টি হ'ল ভাৰতৰ বিভিন্ন স্থানত। এই ভাষা পাঁচটা হ'ল, সৌৰসেনী, মহাৰাষ্ট্ৰী, পৈশাচী, মাগধী আৰু অৰ্দ্ধ মাগধী। প্ৰাকৃতৰ আকৌ চাৰিটা ঠাল হ'ল — ৰাঢ়, ৰাৰেন্দ্ৰ, বঙ্গ আৰু কামৰূপী।

কামৰূপদেশতে ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ নামে চাৰিটা পীঠস্থান আছিল। এই কামৰূপী ভাষাই সমগ্ৰ কামৰূপৰ চাৰিটা পীঠতে প্ৰচলিত আছিল। ইয়াৰ পৰা জনা গ'ল যে ৰাঢ়, ৰাৰেন্দ্ৰ বঙ্গ আৰু কামৰূপী, ভাষা সহোদৰা ভগ্নী ভাষা আৰু তেওঁলোকৰ মাতৃ হ'ল পূৰ্বমাগধী। এতিয়া দেখা গ'ল যে অসমীয়া আৰু বাংলাভাষা সহোদৰ ভগ্নী ভাষা। কেতিয়াবা কেতিয়াবা দুয়ো ভাষাৰ কাজিয়া লগা মানে দুই সহোদৰ ভগ্নীৰ চুলিয়া চুলি। কোনোজন কোনোজনীতকৈ বয়সত ডাঙৰ নহয়; গাহে ডাঙৰ অৰ্থাৎ ভাষা-ভাষী লোকহে অধিক। সেইবাবে নৱম দশম শতিকাৰ লিখিত 'চৰ্য্যাচৰ্য্য বিনিশ্চয়' পুথিখনি অসমীয়া আৰু বাংলাভাষাৰ গুৰি বুলি দুয়ো ভাষাৰ ভাষাতত্ত্ববিদ পণ্ডিতসকলে দাবী কৰে। 'চৰ্য্যা-চৰ্য্য বিনিশ্চয়'ৰ কেইটামান চৰ্য্যাৰ লেখক কামৰূপৰ মীননাথ, লুইপা আৰু গোৰক্ষনাথ বুলি ঠাৱৰ কৰা হৈছে। গতিকে অসমীয়া ভাষাৰ আঁতিগুৰি বিচাৰ কৰাসকলে নিশ্চয় বুজি পাব। কালক্ৰমত কামৰূপী ভাষাই নিটোল ৰূপ পৰিগ্ৰহ কৰাত পূৰ্বৰ জনজাতিৰ মুখৰ বিভিন্ন ভাষাৰ অনেক শব্দ এই ভাষাৰ লগত মিহলি হোৱাত কামৰূপী ভাষাৰ গঢ় বদলি গ'ল। এই অসমীয়া ভাষাত তিনিটা জনগোষ্ঠীৰ ভাষাৰ শব্দ আৰু বাক্য গঠন ৰীতি সন্মিলিত হৈ আছে। এটা হ'ল আৰ্য্য মূলীয় বাংলা, ওড়িয়া, ৰাজস্থানী, হিন্দী আৰু মঙ্গোলীয় মূলৰ, তিব্বতবৰ্মীয় বড়ো, মিছিং, ৰাভা, তিৱা,তাই আদি। আনকি অষ্ট্ৰিক গোষ্ঠীৰ খাচী, চাওতালী, মুণ্ডা, সবৰ আদি। এই তিনিগোষ্ঠীৰ ভাষাৰ শব্দ ৰাজি অসমীয়া ভাষাত সোমাই পৰিছে। ইয়াৰ উপৰিও বিদেশীসকলৰ ভাষাৰ শব্দ আমাৰ ভাষাৰ লগত যোগ হৈছে। উদাহৰণ হিচাপে "হাকিমৰ দপ্তৰখানাত হাকিমে দলিল পত্ৰ চাই আইনমতে মাটিখিনি গোচৰীয়াই পাব বুলি উকিলক কলে আৰু চিয়াৰত বহি টেবিলৰ ওপৰত আনাৰস এটি কাটি লৈ দুয়ো খাবলৈ আৰম্ভ কৰিলে।" এই বাক্যটিত দপ্তৰ, দলিল, আইন, উকিল, আৰবী শব্দ, টেবিল, চিয়াৰ, ইংৰাজী শব্দ আৰু আনাৰস পৰ্টুগীজ শব্দ। এটা বাক্যতে আমি কিমানবোৰ বিদেশী শব্দ ব্যৱহাৰ কৰো এবাৰ ভাবি চাওঁকচোন? দেশজ আৰু বিদেশী শব্দ গ্ৰহণ কৰাত আমাৰ ভাষাৰ প্ৰকাশিকা শক্তি বৃদ্ধি হৈছে।

বহুতে ভাৱে যে অসমত থকা মঙ্গোলীয় গোষ্ঠীৰ প্ৰজাতি বিলাকৰ ভাষাই উপনৈৰ দৰে আহি অসমীয়াত মিলিছে, এই ধাৰণা সঠিক নহয়। মঙ্গোলীয় প্ৰজাতিৰ বিভিন্ন ভাষাবোৰ নিজৰ নিজৰ সুঁতিৰে আগবাঢ়ি গৈ আছে। তাৰ মূল উদঘাটন কৰিবলৈ গলে দেখা যাব যে সেইবোৰ ভাষাই মঙ্গোলীয় গোষ্ঠীৰ ভাষাৰ পৰা উদ্ভৱ হৈ সেই গোষ্ঠীৰ লগতহে মিলিবলৈ প্ৰয়াস কৰিছে, অসমীয়ালৈ গতি কৰা নাই, মিলি যোৱা নাই। সেইবোৰ ভাষা উপনদীৰ দৰে এচলু পন্থীহে চিটিকি আহি অসমীয়া ভাষা লুইতত পৰিছে। সেইবোৰ ভাষাৰ গোষ্ঠীগত স্বতন্ত্ৰতা পূৰ্বাপৰ নিৰ্বিবাদে চলি আছে। সেইবোৰৰ শব্দ অসমীয়া ভাষাত প্ৰবেশ কৰাৰ দৰে অসমীয়া ভাষাৰ শব্দও সেইবোৰ ভাষাত সোমাই পৰিছে। ইয়াত শব্দৰ দিয়া লোৱাহে চলিছে, ভাষাৰ পৰিবৰ্তন হোৱা নাই। গতিকে কোনো পক্ষ কাৰো ধৰৱা নহয় আৰু কোনো ভাষাও কাৰো বুকুত জাহ যোৱাৰ শঙ্কা নাই। আমাৰ কিছুমান পণ্ডিতৰ ভিন্ন ধাৰণাৰ বাবেহে ভিন্নমত প্ৰকাশ কৰি বিভেদৰ জাল ৰচনা কৰা হৈছে। মঙ্গোলীয়, অষ্ট্ৰিক আৰু আৰ্য্যমূলীয় তিনিও গোষ্ঠীৰ ভাষাই সমান্তৰাল ভাৱে গতি কৰিছে আৰু নিজ নিজ স্বকীয়তা ৰক্ষা কৰি আগ বাঢ়ি গৈ আছে।

নিজৰ ভাষা সাহিত্যৰ উন্নতি নিজেহে কৰিব পাৰে, বাহিৰৰপৰা কোনেও তাৰ উন্নতি কৰি দিব নোৱাৰে। জনজাতিৰ ভাষাৰ উন্নতি কৰিব লাগিলে, সেই ভাষা-ভাষী লোকেহে কৰিব পাৰিব; আনে নোৱাৰে। অ জনজাতিৰ মানুহে সহায়হে কৰিব পাৰে। তেনেদৰে অসমীয়া ভাষাৰ উন্নতি কৰিব লাগিলে অসমীয়া ভাষীহে কৰিব পাৰিব আনে মাত্ৰ সহায়ৰ হাতহে আগ বঢ়াব পাৰিব। যি জনজাতিৰ যি ভাষা সেই ভাষাভাষী মানুহে নিজৰ ভাষাৰ শব্দৰ উচ্চাৰণ কৰিবৰ বাবে কি লিপি ব্যৱহাৰ কৰিব তেওঁলোকেহে জানে। আনে তাত হস্তক্ষেপ কৰিব নেলাগে। তেনেদৰে ব্যাকৰণ আৰু অভিধান ৰচনা কৰি দোৱানৰ গতীৰ

পৰা ভাষাৰ গণ্ডীলৈ উন্নীত কৰাৰ দায়িত্ব সেই সেই ভাষা ভাষী পণ্ডিতৰহে। বৰ্তমান সময়ত থকা জনজাতি ভাইসকলে নিজৰ নিজৰ ভাষাৰ উন্নতিৰ বাবে চেষ্টা কৰি আছে আৰু বহুতো আগবাঢ়ি আছে। এতিয়া আমি হাতত ধৰা ধৰি কৰি আগবাঢ়িব পাৰিলে সকলোৱে উপকৃত হ'ম। এই আশা বুকুত বান্ধি লৈয়েই আজি কেবাবছৰ আগতে অসম সাহিত্য সভাৰ মজিয়াত "ভাষা সমন্বয় মঞ্চ, অসম" গঠন কৰা হৈছে। এই মঞ্চৰ সহায়ত জনজাতীয় ভাষাবোৰৰ স্বতন্ত্রতা ৰক্ষা কৰি উত্তৰোত্তৰ উন্নতি সাধন কৰিবলৈ সক্ষম হ'ব পৰা যাব বুলি আমাৰ বিশ্বাস আছে। এক ভাষা-ভাষী লোকে অন্য ভাষা-ভাষী লোকৰ লগত মিলিত হলে তেওঁ লীন নেযায়। ভাষাৰ ক্ষেত্রতো একেই কথা। এই বিষয়ত জনজাতি ভাইসকলৰ শঙ্কাৰ কোনো কাৰণ নাই। কোনো জনজাতীয় ভাষাই অসমীয়া ভাষাৰ লগত লীন নেযায়, জীন নেযায়; এই শঙ্কা অমূলক। লীন যোৱা আৰু জীন যোৱা প্রশ্ন আহে কেৱল সমগোত্রীয় ভাষাৰ ক্ষেত্রতহে, ভিন্নগোষ্ঠীৰ ভাষাৰ ক্ষেত্রত নহয়। জনজাতীয় ভাষা আৰু অসমীয়া ভাষা সহযোগী বন্ধুহে আত্মসাৎকাৰী শত্রু নহয়। সেইবোৰ তির্ব্বতবর্মী আৰু অষ্ট্রিক গোষ্ঠীৰ ভাষা। অসমীয়া ভাষা ইন্দোইৰাণীয় গোষ্ঠীৰ। প্রত্যেকটো সমান্তৰাল ভাবেহে আগবাঢ়ি যাব। কতো লগ লগাৰ প্রশ্ন নাই। অৱশ্যে ইয়াৰ মাজত এটা চিন্তাৰ বিষয় নথকা নহয়। আজিৰ পাঁচবছৰীয়া জনজাতিৰ শিশুৱে বিশ বছৰ পাছত ডেকা হ'ব। কিন্তু অসমীয়া সাহিত্য অধ্যয়ন কৰিব নোৱাৰিব। পিছৰ প্রজন্মই আমাৰপৰা আপোনা আপুনি বিচ্ছিন্ন হোৱাৰ শঙ্কা আছে। আজিৰ চাম জন-জাতি মানুহে অসমীয়া কব আৰু লিখিব পাৰে। পিছৰ চামে নোৱাৰিব। তেওঁলোকৰ পৰিস্থিতিটো অসুবিধাজনক হ'ব। তেতিয়া তেওঁলোকে আমাৰ মাজত থাকিও যেন অৰুণাচল, মেঘালয়, নগালেণ্ড আদিৰ জনজাতিসকলৰ দৰে আঁতৰ হৈ পৰিব। এইটো এটা চিন্তনীয় বিষয়। সকলোৱে স্বতন্ত্রতা বিচাৰে। আত্মনিয়ন্ত্রণৰ অধিকাৰ সকলোৱে আছে আৰু কোনেও কাৰো আত্মনিয়ন্ত্রণত হস্তক্ষেপ কৰাটো উচিত নহয়। তেওঁলোকে স্বনিয়ন্ত্রণ লাভ কৰাটো আমি বিচাৰো, কিন্তু এইটো অপ্রিয় সত্য যে কুৰি বছৰ পিছত তেওঁলোকৰ আৰু আমাৰ মাজৰ সম্পর্ক চিন্তাৰ বিষয় হ'ব। গতিকে আজি আমি সেই সমস্যা সামাধানৰ উত্তৰ উলিয়াই ৰাখিব লাগিব। এই বিষয়ত জনজাতি আৰু অজনজাতি উভয়ে এটা সমাধান সূত্র উলিয়াই থব লাগিব। এই সমস্যাৰ বিষয়ে ৰাইজে ভবাৰ সময় আহি পৰিছে।

ভাষা এটি বোৱতী সুঁতি। অতীতৰপৰা বর্তমানক মাজত ৰাখি ভৱিষ্যতলৈ গতি কৰি আছে আৰু থাকিব। যেতিয়ালৈকে এটা ভাষা-ভাষী মানুহ জীয়াই থাকিব তেতিয়ালৈকে সেই ভাষা জীয়াই থাকিব। সেই ভাষা ভাষী লোকৰ বিলুপ্তি ঘটিলে ভাষাটোও লুপ্ত হ'ব। এটা ভাষা কোৱা মানুহ লগ লাগিয়ে এটা জাতি বুলি ধৰি ললে আচলতে সেই ধাৰণা শুদ্ধ নহ'ব পাৰে। ইংৰাজী কোৱা লোক অধিক থাকে বাবে ইংলণ্ডৰ মানুহখিনিক ইংৰাজ জাতি বুলি কওঁ! কিন্তু পৃথিৱীৰ বিভিন্ন দেশৰ ইংৰাজী কোৱা লোকসকলক কি বুলি কম? তেওঁলোককো আমি ইংৰাজ বুলি কমনে? যদি ইংৰাজ জাতিৰ মানুহ নাইকিয়া হয় তেন্তে ইংৰাজী কোৱা মানুহ পৃথিৱীত বহু আছে। যদি ভাষাৰ প্রকাশিকা শক্তি থাকে তেন্তে তাৰ আদৰ সকলো দেশতে, সকলো সমাজতে থাকিব। ইংৰাজী শিকিলেই ইংৰাজ নহয়, অসমীয়া শিকিলেই অসমীয়া হৈ নাযায়। আজি ভাৰতৰ সংস্কৃত ভাষা-ভাষী লোক তাকৰ হোৱা বাবে সংস্কৃতক বিলুপ্তিৰ পথত থকা বুলি ধৰিলে ভুল হ'ব। প্রকাশিকা শক্তিৰে শক্তিমন্ত হোৱা বাবে সংস্কৃত ভাষা আজিও জীয়াই আছে।

যুগৰ পৰিবর্তনৰ লগে লগে ভাষাৰো পৰিবর্তন ঘটে। অসমত ডেৰশৰো অধিক ভাষাৰ মাজত অসমীয়া ভাষাই সংযোগী ভাষা ৰূপে ব্যবহৃত হোৱাত ইয়াৰ প্রভাৱ তাহানি বৈষ্ণৱ যুগৰে পৰা প্রবাহিত হৈ আহিছে। বৈষ্ণৱ কবিসকলে অসমীয়া ভাষাত বৈষ্ণৱ ধর্মৰ বাণী আৰু আদর্শ প্রকাশ কৰি জনসমাজত বৈষ্ণৱ মত প্রচলিত কৰাৰ লগে লগে কামৰূপী বা অসমীয়া ভাষাই প্রসাৰতা লাভ কৰি অৱলীলা ক্রমে আজিও প্রবাহিত হৈ আছে। বৈষ্ণৱ গুৰুসকলে সাহিত্য প্রচাৰৰ বাবে কিন্তু পুথি লিখা নাছিল, ধর্ম প্রচাৰৰ বাবেহে সাহিত্য ৰচনা কৰিছিল। ধান বানে চাউলৰ কাৰণেহে কিন্তু চাউলৰ লগত মলো ওলায়। এই ক্ষেত্রত চাউল হ'ল ধর্ম আৰু মল হ'ল সাহিত্য। চর্য্যাপদৰ ভাষাৰ পিছতে বৈষ্ণৱ ধর্মগুৰুসকলৰ হাতত অসমীয়া ভাষাই নতুন ৰূপ ললে আৰু বৈষ্ণৱ সাহিত্য ৰচিত হ'ল। তেতিয়া কামৰূপী কথিত ভাষাই মান্য ভাষাৰ ৰূপ লৈছিল। পৰৱর্তী কালত বুৰঞ্জীৰ ভাষাই নতুন গঢ় ললে। ইংৰাজৰ আগমনৰ লগে লগে মিছনাৰী সকলৰ খ্রীষ্টান ধর্ম প্রচাৰৰ মাধ্যমৰূপে শিৱসাগৰত থকা পাদুৰী চাহাব সকলৰ জীপ পাই অসমীয়া ভাষাৰ গঢ় পৰিৱর্তিত হ'ল। আজি আমিকোৱা ভাষা পুৰণি কামৰূপীতকৈ বেলেগ।

অসমত অসমীয়া কথিত ভাষাৰ দুটা উপভাষা প্ৰচলিত আছিল। এটা উজনিত আৰু আনটো নামনিত। নামনি অসমত বাহিৰৰ পৰা মানুহ আহি বসবাস কৰিবলৈ লোৱাত ইয়াৰ কথিত ভাষাৰ ৰূপ বদলি গৈছিল। উজনিৰো মঙ্গোলীয় গোষ্ঠীৰ সংশ্ৰৱত উজনিৰ ভাষাৰ গঢ়ো সুকীয়া হৈছিল। নামনিৰ মান্য ভাষাক আশ্ৰয় কৰিয়েই বৈষ্ণৱ গুৰুসকলে ধৰ্ম প্ৰচাৰ কৰিছিল। শিহৰ কালত উজনিৰ কথিত ভাষা শিৱসাগৰস্থ পাদুৰী চাহাব সকলৰ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ মাধ্যম ৰূপে ব্যৱহাৰ হৈছিল। উজনি অসমত কথিত ভাষাই মান্যতা পাই আগুৱাই আহি বৰ্তমানৰ ৰূপ পৰিগ্ৰহ কৰিছে। উজনি নামনি দুয়োটা অঞ্চলৰ দুটা উপভাষাই দুটা ধৰ্ম প্ৰচাৰৰ মাধ্যম হৈছিল আৰু দুয়োটা উপভাষাই দুটা সময়ত মান্যভাষাৰ মৰ্য্যাদা পাইছিল। দুয়োটাই কামৰূপী বা অসমীয়া ভাষাৰ ৰূপ। বৈষ্ণৱ যুগৰ শেষ প্ৰান্তত আহোম সকলৰ বুৰঞ্জী লিখাৰ প্ৰচলন সৰৱহী হোৱাত বিভিন্ন প্ৰান্তীয় ভাষাৰ শব্দ প্ৰচুৰ পৰিমাণে অসমীয়া ভাষাত প্ৰবেশ কৰিছিল। আৰু পাছত বিদেশী ভাষাৰ শব্দ আহি যোগ হোৱাত আধুনিক অসমীয়া ভাষাৰ অৱয়ব বিশাল হয়। কথ্য ভাষাই পৰিশীলিত হৈ মান্য ভাষা হয়। পৰিশীলনৰ যোগেদি কথ্য ভাষাই সৰ্বজন গ্ৰাহ্যৰূপ পৰিগ্ৰহ কৰি মান্য ভাষাত পৰিণত হয়। বৰ্তমানৰ অসমীয়া ভাষা উজনিৰ কথ্য ভাষা আৰু নামনিৰ কথ্য ভাষাৰ সংমিশ্ৰনত এটা নতুন ৰূপৰ প্ৰতিভূ। ভাষাৰ নদীত বহু জাঁজি বাজে সোঁতও সলনি হয়, কিন্তু বন্ধ নহয়। ভাষা ক্ৰমবিকাশৰ সোঁতত চলি যায়। চৰ্য্যাপদৰ কালৰ ভাষাৰ ক্ৰমবিকাশৰ পাছতে দ্বাদশ চতুৰ্দ্দশ শতিকাত কবি হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত, মাধৱ কন্দলীৰ ৰামায়ণ আদি গ্ৰন্থই অসমীয়া ভাষাৰ গঢ় নিটোল কৰি তোলে। পঞ্চদশ-ষোড়শ শতিকাত বৈষ্ণৱ ধৰ্মগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, ভট্টদেৱ আদিয়ে কীৰ্ত্তনঘোষা, নামঘোষা, কথা ভাগৱত, কথা গীতা ৰচনা কৰি অসমীয়া ভাষা টনকীয়াল কৰি থৈ যায়। শেষত ইংৰাজ আগমনৰ যুগত ভাষাৰ ঠাঁচ বদলি আনন্দৰাম ঢেকীয়াল ফুকনৰ কালত পূৰ্বৰ 'অচমিয়া মাত্ৰি ভাষা'ই বৰ্তমান যুগত অসমীয়া মাতৃভাষাৰ ৰূপ পালে। আনকি হেমচন্দ্ৰ, গুণাভিৰাম বৰুৱাৰ ভাষা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাৰ মাজতো পাৰ্থক্য পৰিলক্ষিত হয়। এনেভাৱে ভাষাৰ ক্ৰমবিকাশৰ সোঁত প্ৰবাহিত হৈ আহিছে। আজি আধুনিক মুদ্ৰণ যন্ত্ৰৰ যুগত অসমীয়া ভাষাৰ বানান বদলিছে। কোনে জানে সুদূৰ ভৱিষ্যতে কিজানি ভাষাৰো গঢ় বদলি যায়? ভাষাৰ বিষয়ে কবলৈ আমাৰ "অসম ভাষা বিজ্ঞান সমিতি" গঠন হৈছে। এই বিলাক কথা অসম ভাষা বিজ্ঞান সমিতিৰ পণ্ডিতসকললৈ এৰিলোঁ। আমি এটা কথা কিন্তু ন-দি কব পাৰো যে অসমীয়া ভাষাৰ মৰণৰ বাট পাৰ হৈ গ'ল। এই ভাষা আৰু নমৰে। অসমীয়া ভাষা জীয়াই আছে আৰু চিৰদিন জীয়াই থাকিব, ইয়াত কোনো সন্দেহ নাই।

অসমৰ অন্তৰ্গত জিলা হিচাপে অবিভক্ত কাছাৰ জিলাত অসমীয়া ভাষা ৰাজ্যভাষা হিচাপে প্ৰচলিত হ'ব লাগে। ৰাজ্যভাষা আইন পাছ হোৱাৰ পিছত দহবছৰলৈহে অবিভক্ত কাছাৰক ৰেহাই দিয়া হৈছিল যাতে কাছাৰৰ বাংলাভাষী লোকসকলে অসমীয়া ভাষা আয়ত্ব কৰিব পাৰে। কিন্তু আজি একুৰি পোন্ধৰ বছৰেও তেওঁলোকে অসমীয়া ভাষা গ্ৰহণ নকৰিলে। ফলত দ্বন্দাত্মক মানসিকতাই গা কৰি উঠিছে। এতিয়া ভৱিষ্যতৰ বাবে সংঘৰ্ষ এৰাবৰ কাৰণে কি কৰা উচিত হ'ব সকলোৱে ভাবিবৰ হ'ল। আজি যদি অবিভক্ত কাছাৰৰ পৰা অসমীয়া ভাষা বিতাৰিত হব লগা হয় তেনেহলে কাইলৈ অইন জিলাবোৰতো তেনে ঘটনা ঘটিব পাৰে। ই এটা বিতৰ্কিত বিষয় হবগৈ। এই শঙ্কা দূৰ কৰিবৰ বাবে বাইজ আৰু চৰকাৰে সময় থাকোতে সুস্থিৰ চিন্তা আগবঢ়াব লাগিব। অবিভক্ত কাছাৰত বাংলাভাষী সংখ্যা গৰিষ্ঠ হোৱা বাবে বাংলা ভাষা মাধ্যম হ'ব লগা হলে কাইলৈ বঙালী প্ৰব্ৰজনৰ ফলত বিভিন্ন জিলাতো বাংলা মাধ্যমৰ দাবী উঠিব পাৰে। ইফালে বাংলাভাষীৰ আপত্তিতো অসমীয়া ভাষা প্ৰচলন কৰিবলৈ গলে তেওঁলোকে নামানিব। এই সমস্যাৰ কেনেকৈ সমাধান কৰিব? প্ৰত্যেক জিলাই জিলাই যদি সংখ্যাগৰিষ্ঠ বহিৰাগত ভিন্ন ভাষী সকলে নিজৰ নিজৰ ভাষা প্ৰচলন কৰিবলৈ প্ৰয়াস কৰে তেন্তে অসমীয়া ৰাজ্যভাষাৰ অৱস্থা কি হ'ব এবাৰ ভাবি চাওঁকচোন। এই সম্ভাব্য বিপদৰ কথা ভাবি আমি সচেতন হ'ব লগা হৈছে। বৰ্তমান অবিভক্ত কাছাৰ জিলাই কেন্দ্ৰীয় বিশ্ববিদ্যালয় লাভ কৰিছে। মেডিকেল কলেজ আছেই, অভিযান্ত্ৰিক মহাবিদ্যালয় আছেই, উচ্চ ন্যায়ালয়ৰো শাখা দাবী কৰি আছে, বিভিন্ন অফিচ আদালত আছেই, এনেক্ষেত্ৰত ভাষাৰো যদি স্বীকৃতি পায় তেন্তে কি যুক্তিত কাছাৰক এখন ৰাজ্য ঘোষণাৰ পৰা বাধা দিব পাৰিব? এই কথা যদি কাছাৰৰ ৰাজনীতিবিজ্ঞসকলে পাণ্ডি আছে, তেতিয়া কি কৰিব? তেনেদৰে বিভিন্ন জিলাতো ৰাজনৈতিক বাতাবৰণ বিষাক্ত কৰি নুতুলিবনে? সেইবাবেই কাছাৰৰ অধ্যায়টোৰ সামৰণি মৰাৰ এতিয়াই ব্যৱস্থা কৰক।

বৰ্তমানে অসমৰ নগৰে চহৰে ইংৰাজী মাধ্যমৰ স্কুল যেনেভাৱে পানী মেটেকাৰ দৰে বাঢ়ি আহিবলৈ ধৰিছে অচিৰেই অসমীয়া ভাষাৰ প্ৰতি ভাবুকি হৈ পৰিব। অথচ অসমীয়া মাধ্যমৰ স্কুলত পাঁচ টকা ফিজ দিও পঢ়াব নোখোজে। সেই অভিভাৱকসকলে দান বৰঙদি দি অসমীয়া মাধ্যমৰ স্কুল বিলাকক ইংৰাজী মাধ্যমৰ স্কুলৰ দৰে গঢ়ি তুলিলে ৰাজ্যৰ কিমান উপকাৰ হ'লহেঁতেন! এই ভাবে চলি থাকিলে অসমীয়া ভাষা ভীষণ ক্ষতিগ্ৰস্ত হ'ব। এতিয়াই ইয়াৰ সমুচিত ব্যৱস্থা নললে ভৱিষ্যৎ অন্ধকাৰ। অসম সাহিত্য সভাই বাৰে বাৰে প্ৰস্তাৱ লৈ থাকিও আজিও এটা কাৰ্যকৰী ব্যৱস্থা ল'ব পৰা নাই। ৰাইজে সেইবোৰ স্কুলৰ লেখিয়া অসমীয়া মাধ্যমৰ স্কুল খুলি এই অৱস্থাৰ প্ৰতিবিধান কৰিব লাগিব। সেইবোৰ স্কুল ব্যক্তিগত ব্যৱসায় ভিত্তিত তৈয়াৰ কৰিছে। নগৰ, চহৰৰ দম্পতিয়ে চাকৰি কৰে। ঘৰত থকা সৰু সৰু ল'ৰা ছোৱালীবোৰ কাম কৰা ল'ৰা বা ছোৱালীৰ হাতত এৰি থৈ যাব নোৱাৰে গতিকে নাৰ্ছিং স্কুলত দি থৈ যায়। তাত ইংৰাজী শিকায় গতিকে ইংৰাজী শিকিব লগা হয়। অসমীয়া স্কুলকো তেনে লেখীয়া কৰি তুলিলে সুফল পোৱা যাব। ইংৰাজী স্কুলৰ পৰিপূৰক অসমীয়া মাধ্যমৰ স্কুল খুলিলে আপোনা আপুনি সেইবোৰ স্কুলৰ বল পৰিব। অসমীয়া মাধ্যমৰ স্কুলত ইংৰাজীৰ মানদণ্ড অতি নিম্নগামী হৈছে।স্কুলবোৰত ইংৰাজী বিষয়ৰ ওপৰত যথেষ্ট গুৰুত্ব দিব লাগে; তেহে অসমীয়া ল'ৰাই সৰ্বভাৰতীয় পৰীক্ষবোৰত প্ৰতিযোগিতা কৰিব পাৰিব। ইংৰাজী মাধ্যমৰ স্কুলবোৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰবেশিকা পৰীক্ষাত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ দৰে অসমীয়া বিষয়টোৰ একে পাঠ্যক্ৰম হোৱা উচিত। যিহেতু ইংৰাজী বিষয়টোৰ পাঠ্যক্ৰম উভয় মাধ্যমত ছাত্ৰ-ছাত্ৰীৰ বাবে একে। উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰীক্ষাত মাধ্যমৰ স্কুলত পঢ়া ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষাৰ সলনি ঐছিক ইংৰাজী বিষয় এটাহে দিয়ে। ই সঁচাকৈয়ে দুৰ্ভাগ্যৰ কথা। অসমীয়া ল'ৰা-ছোৱালীয়ে যদি আমাৰ শিক্ষানুষ্ঠানত অসমীয়া ভাষা নপঢ়ে তেন্তে বহিৰাগত বা অনা অসমীয়াসকলক অসমীয়া ভাষাটো পঢ়াবলৈ বাধ্য কৰাৰ নৈতিক অধিকাৰ কাৰো নাথাকে। বিশেষকৈ মেধাবী ছাত্ৰ-ছাত্ৰীয়ে যদি স্কুল, কলেজত অসমীয়া ভাষাটো বাধ্যতামূলক ভাষা হিচাপে নপঢ়ে তেন্তে তেওঁলোকৰ মেধাশক্তিৰপৰা অসমীয়া সাহিত্যৰ বেদীলৈ কোনো অৱদান আশা কৰিব নোৱাৰি।

ইংৰাজী মাধ্যমৰ স্কুলত ল'ৰা-ছোৱালীক পঢ়োৱাৰ অন্তৰালত অফিচৰ ৰৰমূৰীয়া কৰাৰ মতলব থাকে। অফিচবোৰত উচ্চ পদস্থ কৰ্মচাৰীসকলে আদেশ আধ্যাদেশবোৰ ইংৰাজীতে দিয়ে। এনে কৰাৰ এটা কাৰণ আছে। আচলতে তেওঁলোকে অসমীয়া ভাষা ভালকৈ নাজানে আৰু শুদ্ধ সুন্দৰ সাৱলীল অসমীয়া বাক্য লিখিবও নোৱাৰে। তেনে এচাম কৰ্মচাৰীয়ে নিজৰ অজ্ঞতা আৰু দুৰ্বলতা ঢাকিবলৈ ইংৰাজী ব্যৱহাৰ কৰে। আমি তেওঁলোকক অসমীয়া শিকাব লাগিব। যদি মই-মতালি কৰি নিশিকে তেন্তে বাধ্য কৰাব লাগিব। এচাম মুষ্টিমেয় কৰ্মচাৰীৰ কাৰণেই ১৯৬০ চনতেই অসমীয়া ভাষা ৰাজ্যভাষা ঘোষণা হোৱাৰ পয়ত্ৰিশ বছৰ পিছতো অসমৰ প্ৰশাসনিক ক্ষেত্ৰত অসমীয়া ভাষা উপেক্ষিত হৈ আছে। ই বৰ পৰিতাপৰ কথা। এই চাম কৰ্মচাৰীক চৰকাৰে বাধ্য কৰাব নোৱাৰিলে অফিচ আদালতৰ পৰা অসমীয়া ভাষা আপোনা আপুনি নাইকিয়া হৈ যাব। বৰ্তমান সেই অৱস্থাপ্ৰাপ্ত হৈছেই। ৰাজ্যভাষা নজনা বা ব্যৱহাৰ নকৰা কোনো কৰ্মচাৰী কোনো ৰাজ্যতে নাই। ৰাজ্যভাষা আইন মতেই ৰাজ্যৰ ঘোষিত ৰাজ্যভাষা নাজানিলে বা ব্যৱহাৰ নকৰিলে সেই ৰাজ্যত চাকৰি কৰাৰ কোনো অধিকাৰ নাই। কি অধিকাৰত তেওঁলোকে অসমত চাকৰি কৰি অসমীয়া ভাষা ব্যৱহাৰ কৰা নাই? অসমীয়াই হওক নাইবা অনা অসমীয়াই হওক সকলো কৰ্মচাৰীয়েই অসমীয়া ব্যৱহাৰ কৰিবই লাগিব। তাকে নকৰিলে চৰকাৰে তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'ব লাগে। চৰকাৰে যাতে ৰাইজক আকৌ এটা "ৰাজ্যভাষা প্ৰয়োগ" আন্দোলনৰ সম্মুখীন নকৰে তাকে আমি কামনা কৰিলোঁ।

সকলো জাতি-জনজাতিৰে নিজৰ-নিজৰ ভাষা সাহিত্যৰ উন্নতিকল্পে কাম কৰাৰ সাংবিধানিক মৌলিক অধিকাৰ আছে; তাত কোনেও কাকো হকা বধা কৰিবৰ অধিকাৰ নাই। মোৰ আইক মই সেৱা কৰাৰ যি অধিকাৰ আনৰ মাকক সেৱা কৰাৰো আনজনৰ সেই অধিকাৰ আছে। নিজৰ নিজৰ ভাষা সাহিত্যৰ উত্তৰোত্তৰ উন্নতিৰ হকে সকলোৱে কাম কৰি যাওঁক; কিন্তু তাকে কৰোতে যাতে কোনেও কাৰোপৰা বাধা প্ৰাপ্ত নহয় তাৰ কাৰণে নজৰ ৰাখক।

ভাষা উত্তৰণৰ পথত আগবাঢ়িছে। আমাৰ জনজাতি ভাইসকলৰ ভাষা বহুখিনি আগবাঢ়িছে। ই বৰ সুখৰ কথা। লিপি, ব্যাকৰণ আৰু অভিধানে একোটা দোৱানক ভাষাৰ মৰ্য্যদা দান কৰে। আমাৰ জনজাতি ভাইসকলৰ কেইটামান ভাষাই সেই মৰ্য্যদা লাভ কৰিছে আৰু আন কেইটাইও মৰ্য্যদা সম্পন্ন হ'ব তাত কোনো সন্দেহ নাই। ধৰ্মৰ গোড়ামী আৰু ভাষাৰ গোড়ামী

দুয়োটাই সাম্প্রদায়িক। দুয়োটাই পবিত্যজ্য। ধর্ম আৰু ভাষা দুয়োটাই আবেগিক আৰু স্পর্শকাতৰ। ইয়াৰ মাত্রা অধিক হলে উন্মাসিক হয় আৰু দুর্দ্ধর্ষ হৈ উঠে— নৰহত্যা পর্যন্ত কৰিবলৈও পৰাঙ্মুখ নহয়। তাৰ বাবে সাৱধান হ'ব লাগে।

ভাষাতত্ত্ববিদৰ বাবে অসমখন ভূ-স্বর্গ। অতি প্রাচীন কালৰেপৰা বিভিন্ন ভাষা গোষ্ঠীৰ লোক ইয়াতে বসবাস কৰি আহিছে। এই গোষ্ঠীবিলাকৰ ভিতৰৰ ভাষা অসমীয়া, বাংলা, হিন্দী, ওৰিয়া, নেপালী, বড়ো, ৰাভা, দেউৰী, ডিমাছা, গাৰো, মাৰ, কুকি, খাছি, তিৰা, মিছিং, কার্বি, মিজো, মুণ্ডা, নগা, চাওতালী, সবৰ, কর্কু, নিকোবৰী, পালং, ৰা, মনখেমৰ ভাষা-ভাষী লোক অসমৰ বিভিন্ন অঞ্চলত বসতি কৰি আছে। অসম ভাষা বিজ্ঞান সমিতিয়ে এই সকল লোকৰ ভাষাৰ চর্চাৰ বাবে ভাষাতত্ত্ব বিষয়ক উমৈহতীয়া মঞ্চ এখন গঠন কৰি বিভিন্ন ভাষাৰ সমন্বয় আৰু উন্নতি কল্পে চেষ্টা কৰাটো আমি বিচাৰো। সংহতি আৰু সমন্বয়ৰ সেতু এই ভাষাতত্ত্বৰ গৱেষণাইহে বান্ধিব পাৰে।

অসমীয়া ভাষাৰ এখন বৈজ্ঞানিক ভেটিত ৰচিত "ধাৰাবাহিক ইতিহাস" ৰচনা কৰাটো আমি বাঞ্ছা কৰো। ভাষাতত্ত্ববিদ পণ্ডিতসকলক আমি এই অনুৰোধ জনাই থলো।

অসমীয়া ভাষাৰ বিষয়ে আলোচনা আগবঢ়োৱা পণ্ডিতসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকনকে প্রথম বুলি ক'ব পাৰি। তাৰ পাছত ভাষাতত্ত্ববিদ পণ্ডিত দেৱানন্দ ভড়ালিয়ে ১৯১২ চনত ৰচনা কৰা "অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকী"খনেই অসমীয়া ভাষাতত্ত্ব চর্চাৰ প্রথম নিদর্শনা তাৰ পৰৱর্তী কালত বৈয়াকৰণিক পণ্ডিত কালিৰাম মেধিৰ "অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব" ১৯৩৬ চনত প্রকাশ হয়। ১৯৪১ চনত ভাষাতত্ত্ববিদ পণ্ডিত ডক্তৰ বাণীকান্ত কাকতিৰ "এছামিজ ইটছ্ ফৰমেছন এণ্ড ডেভেলপমেণ্ট" বোলা অসমীয়া ভাষাৰ কীর্তিস্তম্ভ স্বৰূপ কালজয়ী পুথিখনি প্রকাশ হয়। ইয়াৰ আগতে ব্রাউন, ব্রনছন, হেমচন্দ্র বৰুৱা আদি পণ্ডিতসকলৰ অসমীয়া ভাষা বিষয়ক পুথি প্রকাশে অসমীয়া ভাষা বিকাশত সহায় কৰিছে। তেওঁলোকৰ পদাঙ্ক অনুসৰণ কৰি বিদ্বান পণ্ডিত ডক্তৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্রমুখে পৰৱর্তী ভাষা বিজ্ঞানী সকলে ভাষাতত্ত্বৰ গভীৰ গৱেষণা আৰম্ভ কৰিছে। বর্তমানৰ ভাষাতত্ত্ববিদ পণ্ডিত সকলৰপৰা অসমীয়া ভাষাৰ বিষয়ে উত্থাপিত তিনিটা সমস্যাৰ সমাধান আশা কৰিছো— (১) অসমীয়া ভাষাৰ বানান বিভ্রাট দূৰিকৰণ (২) ব্যাকৰণৰ সমস্যা নিৰাকৰণ আৰু (৩) নতুন পদ্ধতিৰে অসমীয়া অভিধান প্রণয়ন।

হে মোৰ চিৰ নমস্য ৰাইজ! ভাষাৰ বাটত আমি বহুদূৰ খোজ কাঢ়িলো এতিয়া আমি শ্রান্ত হৈ পৰিছো। আহক ৰাইজ, মোৰ সাহিত্যৰ ৰসময় বৃক্ষৰ তলত ক্ষন্তেক সময় জিৰাই লওঁ।

অনেক পণ্ডিত, অনেক সমালোচকে সাহিত্যৰ অনেক সংজ্ঞা দিছে; তাতে ময়ো এটা জোৰা দি সংজ্ঞাৰ ভাৰখন গধুৰ কৰিবলৈ নেযাওঁ। সংস্কৃতৰ আলঙ্কাৰিক আৰু সমালোচক জগন্নাথ, দণ্ডি, ভামহ,মম্মট ভট্ট, আদিৰ সংজ্ঞাৰ স্থিৰিকৃত ভাৰতীয় নন্দনতত্ত্বৰ ৰস নিষ্পত্তিৰ যুক্তি আৰু পাশ্চাত্যৰ আলঙ্কাৰিক পণ্ডিত সমালোচক প্লেটো, এৰিষ্টটল, হোৰেচ, লংগিনাচ আদিৰ ৰসঘন আলোচনাৰ যুক্তি জালেৰে ভৰা নৈর্ব্যক্তিক চেতনাবোধে মোৰ মন ধূঁৱলী-কুঁৱলী কৰি তুলিছে। এই ধূম্রাচ্ছন্ন, মোহাবিষ্ট মনেৰে মই কিঞ্চিত বুজিব পাৰিছোঁ যে মানৱকল্যাণার্থে অর্থবহ মধুময় শব্দ চয়নেই সাহিত্য। আলঙ্কাৰিক জগন্নাথৰ মতে "ৰমণীয়ার্থ প্রতিপাদকঃ শব্দঃ কাব্যম্।" ৰমণীয় অর্থ প্রতিপাদন কৰিব পৰা শব্দই কাব্য।

ভামহৰ মতে "শব্দার্থৌ সহিতৌ কাব্যম্।" শব্দ অর্থ মিলিত হলে কাব্য হয়।

মম্মত ভট্টৰ মতে— ভদদোষৌ শব্দার্থৌ গুণবনলংকৃতি, পুনঃ ৰাপি। দোষ ৰহিত আৰু গুণযুক্ত শব্দ যুগল কাব্য। পাশ্চাত্যৰ পণ্ডিত প্লেটো, এৰিষ্টটল, হোৰেচ, লংগিনচ আদিৰ মত প্রায় একে দেখা যায়। কাব্যৰ আদর্শ আনন্দ আৰু শিক্ষাদান।

আমাৰ চিন্তাৰ পৰিমণ্ডল নান্দনিক ৰূপত যেতিয়া প্রতিভাত হয় তেতিয়াই সাহিত্যৰ জন্ম হয়। ব্রহ্মানন্দ শ্রেষ্ঠ আনন্দ কিন্তু কাব্যানন্দও তাৰে অনুগামী। সাহিত্যই জীবনক নন্দন তত্ত্বৰ সন্ধান দি নতুন আলোকেৰে হৃদয় আলোকিত কৰে। যি সাহিত্য কর্মই সর্ব্বযুগৰ, সর্ব্বকালৰ মানৱ মন আকর্ষিত কৰি প্রেয়ৰ মাজেৰে শ্রেয়ৰ সন্ধান দিব পাৰে সেই সাহিত্য কর্মহে কালজয়ী। এই গুণান্বিত হোৱা বাবেই ভাৰতৰ মহাকাব্য দুখন ৰামায়ণ আৰু মহাভাৰত, ইউৰোপৰ ইলিয়াদ আৰু ওডিচী সর্ব্বযুগৰ সর্ব্বলোকৰ আকর্ষণীয়। ইয়ে কালজয়ী ধ্রুপদী সাহিত্য।

সাহিত্যই সত্য, শিব সুন্দৰৰ পূজাৰে য'ত নান্দনিক ৰূপৰ প্ৰকাশ কৰি মানৱীয় প্ৰমূল্যবোধৰ জয়গান গাইছে তাতেহে কালজয়ী প্ৰকৃত সাহিত্যৰ জন্ম হৈছে। সাহ কৰি সত্য প্ৰকাশ কৰি মানুহৰ হিত সাধন কৰিব পৰাতহে সাহিত্যৰ প্ৰকৃত অৰ্থ প্ৰকাশ পায়। মানৱ কল্যাণৰ বাবে ৰচিত হোৱা সাহিত্য কৰ্মইহে সু-সাহিত্য। ই যুগে যুগে অমৰ।

হৃদয় সংবাদী পাঠকৰ অন্তৰত সহৃদয়তা জগাই তুলিব পাৰিলেহে প্ৰকৃত সাহিত্য সৃষ্টি হোৱা বুলি কব পাৰি। সমধৰ্মী মনৰ মাজত ভাবৰ আলোড়ন তুলি অনুভূতিৰ তন্ত্ৰত আঘাতেৰে একাত্মবোধ জগাই সংবেদনশীল মনৰ সংযোগ সাধন কৰি আহ্লাদিত কৰিব পৰাতহে সাহিত্যৰ পৰম সাৰ্থকতা আৰু ৰসবোধৰ চৰম পৰিণতি। সেইবাবেই সাহিত্য এখন সমাজৰ ছবি হৈয়ো বিশ্বৰ সৰ্ব্বসমাজৰ ছবি, এটা যুগৰ হৈয়ো সৰ্বযুগৰ, একালৰ হৈয়ো সৰ্বকালৰ, এজনৰ হৈয়ো সৰ্বজনৰ প্ৰাণৰ প্ৰকাশ, এজনৰ হৃদয়ৰ বতৰা সৰ্বজনৰ হৃদয়ৰ বতৰা। সেয়েহে প্ৰকৃত কালোত্তীৰ্ণ সাহিত্য সৰ্ব্ব মানৱৰ হৃদয় সংবাদী বাৰ্তা। হৃদয়ৰ লগত হৃদয়ৰ মিলনৰ মাধ্যম।

সৰ্ব প্ৰকাৰ সংস্কাৰ মুক্ত হৈ ধৰ্মীয় সংকীৰ্ণতা, ৰাজনৈতিক কুটিলতা, মানসিক দুৰ্বলতা ত্যাগ কৰি উদাৰ ভাৱে বিশ্বমানৱক সাবটি লৈ সৰ্ব্বসাধাৰণৰ জীৱনৰ সুখ-দুখ, হাঁহি কান্দোনৰ ছবি ফুটাই তুলি মানৱ মুক্তিপথৰ নিৰ্দ্দেশ দি মানুহৰ আত্মবিশ্বাস আত্মচৈতন্য জাগৃত কৰি বিশ্বজনীন সত্য প্ৰকাশ কৰিব পাৰিলেহে কালজয়ী সাহিত্য ৰচনা হ'ব পাৰে। মানবীয় প্ৰমূল্যৰ প্ৰবক্তা হৈ অন্যায়, অসত্য, অত্যাচাৰৰ বিৰুদ্ধে শাণিত বাক্যবাণ নিক্ষেপ কৰি মানৱতাৰ জয়গান গাবপৰা সাহিত্যিকেহে যুগজয়ী সাহিত্য ৰচনা কৰিবলৈ সক্ষম। মানৱ মুক্তিৰ গানেই আজিৰ সাহিত্য।

মানৱ মুক্তিৰ চিন্তাই আৰু মানৱ কল্যাণকাৰী কৰ্মই সত্যম, শিৱম, সুন্দৰম বুলি কলাকাৰ আৰু সাহিত্যিকে ঘোষণা কৰিছে। অসুন্দৰ বস্তুৰ মাজতো সুন্দৰৰ অস্তিত্ব অনুভৱ কৰি, অসত্যৰ অন্তৰালৰ পৰম সত্য দৰ্শন কৰি আৰু অমঙ্গল প্ৰতিক্ৰিয়াত মঙ্গলময় কৰুণাৰ প্ৰভাৱ অৱলোকন কৰি আজিৰ কবি সাহিত্যিকে পৰম্পৰাগতভাৱে প্ৰচলিত অতীতৰ চিন্তাধাৰাৰ ওপৰত নতুন দৃষ্টিভংগী দাঙি ধৰিছে। অতি নিচলা কৃষক বনুৱাৰ আশা আকাংক্ষা আৰু জীৱন যুদ্ধৰ ঘাত প্ৰতিঘাতৰ ছবি আঁকি দুৰ্ব্বিসহ জীৱন পদ্ধতি জনসমাজৰ আগত দাঙি ধৰি অসুন্দৰৰ মাজতো সুন্দৰৰ অৱস্থিতি অনুভৱ কৰিবলৈ প্ৰয়াস কৰিছে। সমাজ জীৱনৰ জটিল মানসিক অন্তৰ্দ্বন্দ্বৰ বাবে দিকবিদিক শূণ্য হোৱা অৱচেতন মনৰ ক্ৰিয়া প্ৰতিক্ৰিয়া আজিৰ সাহিত্যৰ বিষয় বস্তু হৈ পৰিছে। ফলস্বৰূপে আধুনিক সাহিত্যত ৰজা মহাৰজা আৰু সম্ভ্ৰান্ত বংশীয় লোকৰ কাহিনীৰ বিপৰীতে নিম্নশ্ৰেণীৰ লোক কৃষক, বনুৱা, ভিখাৰী, ৰণুৱাৰ জীৱন যাপনৰ কাহিনী সাহিত্যত চিত্ৰিত হৈছে। আজিৰ ধ্যান ধাৰণাৰ জীৱন আদৰ্শৰ পৰিৱৰ্তন সাধিত হৈছে। ইয়াৰ ফলস্বৰূপে আজিৰ সাহিত্য জনজীৱনৰ সাহিত্যত পৰিণত হৈছে।

লক, ৰুছো, ভল্টেয়াৰৰ ৰচনাৰ পৰাই ইউৰোপত নৱজাগৰণৰ আলোড়ন হয়। ৰাজতন্ত্ৰৰ পতন আৰু গণতন্ত্ৰৰ উত্থান হয়। ব্যক্তি স্বতন্ত্ৰতাৰ ৰুদ্ধদ্বাৰ মুক্ত হয়। মানুহৰ স্বাধীন চিন্তাৰ দ্বাৰ উদঘাটন হয়। ইয়াৰ পৰিণতিত ৰেঁণেচা বা নৱজাগৰণৰ যুগ আৰম্ভ হয়। ইউৰোপৰ সমাজ জীৱনৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যতো নৱজাগৰণ আৰম্ভ হয়। কাৰ্লমাৰ্ক্স, ফ্ৰয়েড আদিৰ চিন্তা আৰু আৰ্দশৰ প্ৰচলনৰ ফলত অতীতৰ ধৰ্মৰ ভেটিত গঢ়ি উঠা সাহিত্যৰ পৰিৱৰ্তে প্ৰগতিবাদী সাহিত্যৰ জন্ম হয়। প্ৰগতিবাদী সাহিত্য হ'ল মানৱ মুক্তিৰ সাহিত্য। বস্তুবাদী ভাবধাৰাৰ ভেটিত ৰচিত সাহিত্য। এই সাহিত্য একপ্ৰকাৰ নিৰীশ্বৰবাদী সাহিত্য। ধৰ্মৰ গোৰামীৰ বিৰুদ্ধে ই জেহাদ ঘোষণা কৰিছিল। মাৰ্টিন লুথাৰৰ প্ৰৱৰ্ত্তিত প্ৰটেষ্টাণ্ট ধৰ্মই কেথলীক ধৰ্মৰ গোড়ামীৰ বিৰুদ্ধে পচাল্লৈ দফা সংস্কাৰ দাবী কৰি প্ৰথমেই গীৰ্জাৰ ওপৰত নটিচ জাৰি কৰিছিল। ইয়ে আছিল সংস্কাৰৰ পুৰতী -প্ৰভাতী ফেহুজালি। পৰৱৰ্তী কালত কাব্য জগতত টি,এছ, ইলিয়ট, এজৰা পাউণ্ডৰ কবিতাই এই সাহিত্যৰ এটা নতুন ধাৰা নিৰ্ণয় কৰে। দাৰউইনৰ বিৱৰ্তনবাদ, ফ্ৰয়েদ ইয়ুং এড্‌গাৰৰ মনস্তত্ত্বৰ যৌনগন্ধী বিশ্লেষণ, কাৰ্লমাৰ্ক্সৰ সাম্যবাদ আৰু বিশ্বযুদ্ধৰ বিভীষিকাই মানৱ মনৰ পূৰ্বৰ ধ্যান ধাৰণাৰ পৰিৱৰ্তন ঘটালে। সাহিত্যত তাৰ প্ৰতিফলন হল। এই সাহিত্যৰ টোৰে সমগ্ৰ ইউৰোপ মহাদেশতে ভাব-প্লাবনেৰে প্লাৱিত কৰিলে। তাৰ টো সুদূৰ আমেৰিকা পালেগৈ। ভাৰততো সেই জোৱাৰৰ টোৰ খলকনি আহি চিন্তা জগতত আলোড়ন তুলিলে। ইংৰাজী শিক্ষাত শিক্ষিত শ্ৰেণীয়ে সেই লহৰতে সাঁতুৰি নাদুৰি ভাৰতীয় চিন্তা আৰু আদৰ্শ নেওচি ইউৰোপীয় চিন্তাত নিমগ্ন হ'ল আৰু সাহিত্যত প্ৰগতিবাদৰ আমদানি কৰিলে। ফলস্বৰূপে ভাৰতীয় চিন্তা আৰু আদৰ্শৰ তুমুল দ্বন্দ্ব আৰম্ভ হ'ল। ইফালে বৈজ্ঞানিক আবিষ্কাৰ আৰু প্ৰযুক্তিবিদ্যাৰ যন্ত্ৰ-পাতিবোৰে বৃহৎ পৃথিৱীখন যেন ক্ষুদ্ৰ কৰি পেলালে।

দেশ-বিদেশৰ ঘটনা আৰু দ্রব্যবোৰ চকুৰ প্রচাৰতে দেখিবলৈ পাই, মানুহৰ মনৰ গতি প্রসাৰিত হৈ পৰিল। পৃথিৱীখনৰ সমস্ত মানুহৰ লগত যোগাযোগ চলাত মানুহৰ মনৰ দিগন্ত বিস্তাৰিত হ'ল। ইয়াৰ ফলস্বৰূপে মানৱতাবাদী চিন্তাধাৰাই মানুহৰ মনত খোপনি পুতিলে। সাহিত্যৰ গতি ধাৰা সলনি হ'ল। এই সাহিত্য জীৱ আৰু জগততে আবদ্ধ থাকিল, ঈশ্বৰৰ ফালে গতি কৰাত বাধা প্রাপ্ত হ'ল। মধ্য যুগৰ ধর্মীয় চিন্তাত নিমগ্ন হোৱা চিন্তাৰ স্রোত ৰুদ্ধ হ'ল। আদর্শৰ সংঘাত আহিল। সেই ৰমন্যাস যুগতেই ইউৰোপৰ ধর্মীয় চিন্তা-ধাৰাই আৰ্থ সামাজিক সমস্যাত জর্জৰিত হৈ গীর্জাৰ চাৰি বেৰৰ মাজতে সীমাবদ্ধ হৈ ৰ'ল। পৃথিৱীৰ ধর্মবোৰৰ এছিয়াতে জন্ম হৈছিল। ইউৰোপত কেৱল ইয়াৰ সংশোধিত ৰূপৰহে সৃষ্টি হৈছিল। প্রটেষ্টাণ্টবাদ, কেলভিনবাদ, জুইলিংবাদ তাৰ নিদর্শন। এই সংশোধিত ৰূপবোৰে বহু ক্ষেত্রত ধর্মৰ ঐহিক ফালতো সংস্কাৰ কৰি মানুহৰ মনৰ অন্ধ বিশ্বাস আঁতৰ কৰিবলৈ সমর্থ হৈছিল। সেই কাৰণে পৰৱর্তী কালত নব্য চিন্তাধাৰাই নতুন সাহিত্যৰ চিন্তা কৰিবলৈ সমর্থ হ'ল।

ভাৰতীয় ভাববাদী দর্শন আৰু পাশ্চাত্যৰ বস্তুবাদী দর্শনৰ সংঘর্ষৰ পিছত কোনো আলোচনাৰ চেষ্টা দেখা নগৈছিল। ভাৰতীয় ভাৱবাদী দর্শনৰ ভেটিত ৰচিত ভাৰতীয় কাব্য সাহিত্যৰ লগত ইউৰোপীয় বস্তুবাদী দর্শনৰ ভেটিত ৰচিত কাব্য সাহিত্য সংঘর্ষৰ ফলত বর্তমানৰ ভাৰতীয় আধুনিক সাহিত্যই এটা নতুন মানসিকতা তৈয়াৰ কৰিবলৈ আগবাঢ়িছে। ইয়াৰ ফলস্বৰূপে অসমীয়া সাহিত্যৰ এক নব্য চেতনাবোধ আৰু প্রগতিবাদী চিন্তাই গা কৰি উঠা দেখা গৈছে। কার্লমার্ আৰু ফ্রয়েদৰ নিৰীশ্বৰবাদী বস্তুবাদী দর্শনৰ ছাঁত আধুনিক সাহিত্যৰ গঢ় বদলি গৈছে। ইলিয়াটৰ কবিতাৰ নতুন প্রতীক আৰু ব্যঞ্জনাই কাব্য জগততে দুর্ৱোধ্যতা সৃষ্টি কৰি পূর্বৰ সকলো পৰম্পৰা বিচ্ছিন্ন কৰিবলৈ আগবাঢ়ি আহিছে। পাশ্চাত্যৰ এই নিৰীশ্বৰবাদী মতবাদে ভাৰতীয় ঈশ্বৰবাদী মতবাদক খুন্দা মাৰিছে আৰু চিন্তা জগততে ভীষণ আলোড়নৰ সৃষ্টি কৰিছে। ফলস্বৰূপে নতুন প্রজন্মই পৰম্পৰাগত চিন্তাৰ আঁত হেৰুৱাই দিক্ বিদিক ধুঁৱলি কুঁৱলি দেখিছে। বর্তমানৰ কাব্য কানন যেন ত্রিশংকুৰ স্বর্গহে হৈছে। সেই কাৰণেই সর্বসাধাৰণে সাম্প্রতিক কবিতাৰ ৰস আস্বাদনত বাধা পাইছে। ভাৰতীয় আদর্শ আৰু চিন্তাৰ লগত সামঞ্জস্য ৰাখি পাশ্চাত্যৰ চিন্তাৰ সমন্বয় ঘটাব নোৱাৰিলে বর্তমানৰ তথাকথিত প্রগতিবাদী চিন্তাই আমাৰ সমাজত খোপনি পুতিবলৈ টান হ'ব। আমাৰ পৰম্পৰাগত চিন্তাৰ সমূলে নির্মূল কৰি পাশ্চাত্য ভাবাদর্শ আৰু চিন্তাৰ প্রচাৰক হলে আধুনিক লেখকসকলে কৃতকার্যতা লাভ কৰা দুৰূহ হ'ব। কবি সাহিত্যিক সকলে এই বিষয়ে চিন্তা ৮৮ কৰি নতুন পথ দিব বুলি আমি আশা কৰিলোঁ।

কবিতা, গল্প, উপন্যাস আৰু নাটক এই চাৰিবিধ সৃষ্টিশীল সাহিত্যৰ ফালে নজৰ কৰিলে আমি অসমীয়া সাহিত্যৰ পূর্ণতাৰ দিশত কিছু উমান পাম। সংস্কৃত সাহিত্যত এই চাৰিটা অংককে একত্রিত কৰি কাব্য বুলি অভিহিত কৰিছিল। বর্তমান যুগত ভিন ভিন ৰূপত আমি ভাগ কৰিছো।

কবিতা হ'ল ছন্দ আৰু লয়ৰে সৃষ্ট এক বাঙ্ময় শিল্প, সকলো সাহিত্যৰ শ্রেষ্ঠতাৰ পৰিচায়ক। কবিতা কবিৰ প্রাণৰ স্পন্দন। এই স্পন্দনে পাঠকৰ হৃদয় দোলায়িত কৰি কাব্যা নন্দৰ পৰিণতি ঘটায়। কবিতা অল্পকায় কিন্তু কথাৰ সাগৰ। গৰুৰ খোজৰ এচলু পানীতে সমস্ত নভোমণ্ডল দেখাৰ নিচিনা কবিতা বিশ্বদর্শনৰ দাপোন। ক্ষুদ্রৰ মাজেৰে বিৰাটক উপলব্ধি কৰি তাৰ প্রকৃত পৰিপক্কতাৰ পৰিচয় দিয়ে। ছন্দৰ যতি বন্ধনেৰে সীমায়িত, লয়ৰ সুকুমাৰে সুষমামণ্ডিত কবিতাই মানৱ হৃদয়ত হেন্দোলনি তুলি ৰসসিক্ত হৃদয়ক আনন্দত আপ্লুত কৰে। সেইবাবে কবিতা সর্বজন প্রিয়। কবিতা যুক্তিৰ বস্তু নহয়— হৃদয়ৰ আবেগৰ বস্তু।

আধুনিক কবিতা যুক্তিসিদ্ধ হোৱা বাবে মগজু প্রক্ষালনৰ আহিলা হিচাপেহে ব্যবহৃত হোৱা বুলি বহু সমালোচকে যুক্তি দিয়ে। সাধাৰণ মানুহৰ মন চুই যাব নোৱাৰা বাবে অভিযোগ। কবিতা ছন্দ আৰু লয়ৰ সুষম সমাহাৰ। ই ছন্দৰ মাধুর্য্য আৰু লয়ৰ সুষমা মণ্ডিত মহিমাৰে মহিমামণ্ডিত হ'ব লাগে। আধুনিক কবিতাত প্রাচীন ছন্দৰ মাধুর্য্য নাথাকিলে লয়ৰ সুষমা আছে; নতুন কবিতাটো মুক্তক ছন্দ স্পন্দিত গদ্য আদি কবি ছন্দ ব্যবহাৰ হৈছে পূর্বৰ ছন্দ বর্জিত সাম্প্রতিক কবিতাই কুৰি শতিকাৰ পঞ্চম দশকৰ পৰা অসমীয়া সাহিত্যত প্রবেশ কৰিছে। জটিল ভাষা আৰু অসংলগ্ন পংক্তিয়ে পাঠকৰ ভাৱৰ আটল লগায়। অপৰিচিত প্রতীকৰ ব্যবহাৰে পাঠকসকলক কাব্য পঠনৰ প্রতি বিমুখ কৰে। সেই বাবেই কবি সম্মিলন বিলাকত কবিতকৈ শ্রোতাৰ সংখ্যা তাকৰ হোৱা দেখা যায়। নবীন আৰু চেমনীয়া কবি সকলে বাইজৰ হৃদয় জয় কৰিবলৈ চেষ্টা কৰিলে ভাল হয়। পাশ্চাত্যৰ আমদানী কবিতাই আমাৰ বাইজৰ মনৰ জুতি লগাব পৰা নাই । সমালোচক সকলেও এইবিধ কবিতাৰ জুতি লগাবৰ দিহা

দিয়ক।

কাব্যেষু নাটকং ৰম্যম্। সকলো কাব্য বা ৰস সাহিত্যৰ ভিতৰত নাটকেই ৰমণীয় । ধর্ম, অর্থ, কাম,মোক্ষ এই চতুর্বগ সাধনৰ ধর্ম ,অর্থ,কাম এই ত্রিবর্গৰ সাধন নাটকৰ দ্বাৰা হোৱা বুলি পণ্ডিত সকলে কয়। এই নাটকৰ ক্ষেত্রত মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ আৰু শ্রী মাধৱ দেৱৰ অঙ্কীয়া নাট বা ভাওনাৰ পৰা আৰম্ভ কৰি ঐতিহাসিক, সামাজিক, বাটৰ নাট, উদ্ভট নাট আদি বিভিন্ন ধৰণৰ নাট ধাৰাবাহিক ভাৱে সৃষ্টি হৈ আহিছে। আকাশবাণী, দূৰদর্শন, ভ্রাম্যমান থিয়েটাৰ আদিৰ বাবে লিখা নাটো দেখাৰ ওলাইছে। কিন্তু সাম্প্রতিক কালৰ কোনোখন নাটেই উচ্চমান বিশিষ্ট হোৱা নাই বুলি সমালোচকসকলে কোৱা শুনা যায়।

ভাৰতৰ কালিদাস আৰু ভৱভূতিৰ পৰা আৰম্ভ কৰি ইউৰোপৰ শ্বেপিয়াৰৰ পৰা ইবচেনলৈ বিশ্ববিখ্যাত নাট্যকাৰসকলৰ প্রভাৱৰ দ্বাৰা বিশ্ব সাহিত্যত শ্রেষ্ঠ নাটকৰ সৃষ্টি হৈছে, কিন্তু পৰৱর্তী কালত নাট্য সাহিত্যৰ মনোৰঞ্জন আৰু শিক্ষা প্রদানেৰে মানৱ মনৰ উন্নিতকৰণৰ প্রক্রিয়াযুক্ত নাটৰ সৃষ্টি হোৱা নাই বুলি নাট্য সাহিত্যৰ সমালোচকসলে আক্ষেপ কৰে। মহাকাব্যৰ প্রসঙ্গত আলঙ্কাৰিক আচার্য্য ভামহে কৈছিল -

ধর্মার্থ-কামমোক্ষেষু বৈচক্ষ্যণং কলাষু চ।
কৰোতি, কীত্তিং, প্রীতিঞ্চসাধুকাব্য নিষেধনম্।

সাধুকাব্য সেৱন কৰি মানুহে ধর্ম, অর্থ, মোক্ষ এই চতুর্বর্গৰ লগতে কলাত বিচক্ষণতা লাভ কৰি যশস্যা আৰু প্রীতি লাভ কৰে। আজি সেই আদর্শৰ পৰিৱর্ত্তন ঘটিছে। ধর্ম সাধন হব পাৰে। পাশ্চাত্যৰ সাহিত্যৰ গতি বিধি আৰু আদর্শৰ ফালে নজৰ কৰিলে। তাকে অনুভৱ কৰা যায়।

নাটকৰ ক্ষেত্রত অসমীয়া নাট্য সাহিত্যই পূর্বতকৈ মন্থৰ গতি লৈছে। আগৰ চামৰ তুলনাত বর্তমান চামৰ হাতে লিখা নাটকৰ প্রকাশ অতি তাকৰ। নাটক আৰু কবিতাৰ বিক্রী নাই বাবে প্রকাশকে নছপায়। ভ্রাম্যমান দলৰ বাবে বহু নাটক ৰচিত হৈছে, কিন্তু সুখপাঠ্য ৰচনা হিচাপে বর্তমানৰ নাট ৰচনাৰ গতি ৰুদ্ধ হোৱা বুলি কৰ পাৰি। নাটক দৃশ্যকাব্য হলেও শ্রুতকাব্যও। বহু ক্ষেত্রত শ্রব্যকাব্য হিচাপে লিখা নাটকহে সাহিত্য ভাণ্ডাৰত স্বীকৃতিপ্রাপ্ত হয়। আমাৰ নাট্যকাৰ সকল এই বিষয়ত সচেতন হব বুলি আশা কৰিলোঁ। অসম নাট্য সম্মিলনৰ দায়িত্ব এই বিষয়ত অধিক বুলি আমি বিবেচনা কৰোঁ।

গল্প আৰু উপন্যাসৰ ক্ষেত্রত অসমীয়া সাহিত্যই ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগত ফেৰ মাৰিব পৰা বিধৰ হৈছে আৰু স্বীকৃতিও লাভ কৰিছে। আশা কৰো আমাৰ গাল্পিক আৰু উপন্যাসিক সকলে বিশ্বসাহিত্যৰ ভঁৰাললৈও উপযুক্ত গল্প, উপন্যাস যোগান ধৰিব পৰা আশা বুকুত ৰাখি আগবাঢ়ক।

সমালোচনাই সাহিত্যৰ গতি পথ নির্ণয় কৰি দিয়ে, কিন্তু বিষাক্ত সমালোচনাই লিখকক বধো কৰে। ইংৰাজী সাহিত্যত কীট্চ তাৰ সাক্ষী। বিৰূপ মন্তব্য আৰু পক্ষপাত দোষযুক্ত সমালোচনাই সাহিত্যিকক বৰ অন্যায় কৰে। এইবিধ সমালোচকৰ সংখ্যাই অসমীয়া সাহিত্যত অধিক দেখা গৈছে।

অসমীয়া সাহিত্যৰ ইতিহাস লেখা আলোচক সকলৰ বেচিভাগে পূর্বৱর্তী সকলৰ লেখাখিনিৰে ইফাল সিফাল কৰি কিতাপ লিখে। বিস্তৃত অধ্যয়ন আৰু ঐতিহাসিক পটভূমিত বিচাৰ বিশ্লেষণ নকৰাৰ ফলত এইবোৰ চর্ব্বিত চর্ব্বন যেন অনুমান হয়। এই ক্ষেত্রত গ্রহণ আৰু বর্জনৰ ক্ষমতাৰ ওপৰত কিতাপৰ মানদণ্ড নির্ভৰ কৰে। তেওঁলোক হয় সংযত হওক নতুবা বিৰত হওক।

সংবাদ সাহিত্যই আমাৰ ভাষাত গা কৰি উঠিছে। ই শুভ লক্ষণ। সংবাদ-সাহিত্যৰ ভাষাৰ ঠাঁচ বদলিছে। সুন্দৰ শব্দচয়ন আৰু সীমিত বাক্য গাঠনিৰে একোটা সংবাদ মনোগ্রাহীকৈ পৰিবেশন কৰি সংবাদ মাধ্যমে সাহিত্য ৰসৰো যেন আস্বাদ দিছে কিন্তু অসত্য আৰু উদ্দেশ্যমূলক বাতৰিয়ে সমাজৰ প্রভূত অন্যায় সাধন কৰে। সাংবাদিকসকল যেন সংযত হয় তাকে কামনা কৰিলোঁ। এই বিষয়ে অসম সাংবাদিক সংস্থাই চিন্তা কৰি দিশ নির্ণয় কৰাৰ আশা পোষণ কৰিলোঁ।

সাহিত্যৰ বিষয়ে যিবিলাক কথা বলকিলো সেইবোৰ ইন্দ্রৰ সভাত ফেঁচাৰ কুৰুলী যেন হ'ল বুলি মই বাৰুকৈয়ে বুজিব পাৰিছোঁ। আজিৰ এই বিদ্বান মণ্ডলীৰ আগত নন্দনতত্ত্বৰ তত্ত্ব উদঘাটন কৰিবলৈ যোৱাটো যে মোৰ বাবে ফেঁচাৰ কুৰুলী তাত কোনো সন্দেহ নাই। মোৰ বিদ্যা-বুদ্ধিৰ দৌৰ দেখি নিশ্চয় জ্ঞানী-গুণীজনে মনে মনে হাঁহিছে। কিন্তু "পাখি সব উৰয় যেন পাখা

অনুসাৰে"। মই মনৰ আবেগত কিবা-কিবি কলো। সদাশয় ৰাইজে যেন দোষ-ত্ৰুটি মাৰ্জনা কৰে।

"হে মোৰ সেৱাৰ থলী ৰাইজ"-আহক এইবাৰ আমি সংস্কৃতিৰ পথাৰখনিলৈ যাওঁ। তা'ত এটা অভজা নাচকে দিওঁ।

অসমীয়া সংস্কৃতি বাৰে-বৰণীয়া সংস্কৃতিৰ সমাহাৰ। সংস্কৃতি হ'ল মানুহৰ কৃতিৰে চানেকি। আমাৰ জনজাতীয় আৰু অজনজাতীয় সংস্কৃতিৰ মিলনে অপূৰ্ব সমন্বয়ৰ চানেকি দাঙি ধৰিছে। বিভিন্ন ধৰ্ম-ভাষা-জাতি-কৃষ্টিৰ সমন্বয়ত অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। সংস্কৃতিৰ ক্ষেত্ৰত ধৰ্মই অধিক অংশ পূৰণ কৰে। ধৰ্মৰ ওপৰত ভিত্তি কৰিয়েই পৃথিৱীৰ বিভিন্ন সংস্কৃতিৰ জন্ম হৈছে। ভাৰততো পূৰ্বতে হিন্দু আৰু বৌদ্ধ ধৰ্মৰ মতবাদ আৰু দৰ্শনক ভিত্তি কৰি সৃষ্টি হৈছিল ভাৰতীয় সংস্কৃতিৰ। পিছৰ কালত ইছলাম ধৰ্মৰ প্ৰভাৱ পৰিলক্ষিত হয়। অসমত হিন্দু, বৌদ্ধ, জৈন, শিখ, ইছলাম, খৃষ্টান ধৰ্মৰ সহ অৱস্থান ঘটে আৰু সমন্বয়ৰ সংস্কৃতিৰ জন্ম হয়। অসমত মূলতঃ হিন্দু ধৰ্মৰ শাক্ত, শৈব আৰু বৈষ্ণৱ পন্থাৰ প্ৰচলন আছিল। তাৰ পাছত একেশ্বৰবাদী ধৰ্মৰ বৈষ্ণৱ পন্থাৰ একেশ্বৰবাদী মতবাদৰ লগত ইছলামৰ একেশ্বৰবাদী মতবাদ একেলগে প্ৰচাৰ হোৱাত কোনো বাধা নাছিল। শঙ্কৰদেৱ আৰু আজানফকীৰ প্ৰত্যেকে একেলগে ধৰ্ম প্ৰচাৰ কৰাত কোনো বাধাৰ সম্মুখীন হোৱা নাছিল। খৃষ্ট ধৰ্মৰো একেশ্বৰবাদী মতবাদে অসমৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত সমন্বয় অটুট ৰখাত সহায় কৰিছে। বৌদ্ধ ধৰ্মৰ সহনশীলতাই সমন্বয় সাধনত উৎসাহ যোগাইছিল। অসমত একেশ্বৰবাদী চিন্তা-ধাৰাৰ লগত জড়িত বৌদ্ধ ধৰ্মৰ সহনশীলতাই আজিও বৌদ্ধ, হিন্দু, মুছলমান, খৃষ্টানৰ মাজত সম্প্ৰীতিৰ সেতু নিৰ্মাণ কৰি আছে। বৰ্তমান এক শ্ৰেণীৰ সাম্প্ৰদায়িকতাবাদী ৰাজনৈতিক নেতাৰ প্ৰৰোচনাত সৰু-সুৰা অমিল হলেও মূলসুঁতি সুকলমে প্ৰবাহিত হৈ আছে। দুষ্ট চক্ৰৰ সাম্প্ৰদায়িক মনোভাব আঁতৰ কৰিবলৈ যত্ন কৰাতো আমাৰ কৰ্তব্য হৈ পৰিছে।

অসম ৰাজ্যত জনজাতিৰ উপাস্য বুঢ়া-ডাঙৰীয়াৰ থান, অজনজাতিৰ দৌল-দেৱালয়, মঠ-মন্দিৰ আদিয়ে আমাৰ অসমীয়া সংস্কৃতিৰ যেনেকৈ স্থাবৰ স্থাপত্যৰ চিনাকি দি আছে তেনেকৈ জনজাতিৰ বিহুনৃত্য আৰু অজনজাতিৰ সত্ৰীয়া নৃত্যই একেলগে অসমীয়া নৃত্যত অঙ্গাঙ্গীভাবে মিলিত হৈ অপূৰ্ব নৃত্যৰ সৃষ্টি কৰিছে। ৰৰগীত, দেহবিচাৰৰ গীত, লোকগীত, ৰনগীত, বিহুগীত, আইনাম, বিয়ানাম, গোপিনী নাম, সত্ৰীয়া নৃত্য, দেওধনী নৃত্য, ঝুমুৰ নৃত্য আদি বিভিন্ন গীত আৰু নৃত্যই আমাৰ জাতীয় জীৱন সজীৱ আৰু আনন্দমুখৰ কৰি ৰাখিছে। আমাৰ চকু পৰে থানত, দেৱালয়ত; আমাৰ দেহ হালে-জালে নানা নৃত্যত আৰু আমাৰ মন মত্ত হয় প্ৰাণ উতলা গীতত। নান বাদ্য খোল-তাল, খঞ্জৰী, মৃদংগ, ঢোল, পেঁপা, গগণা, চিফুং, আদি বাদ্যযন্ত্ৰেৰে আমাৰ হাত-মুখ ঝঙ্কাৰিত। গোঁসাইঘৰৰ ঢাবি, ৰাটচৰাৰ মণ্ডপ, পাকঘৰৰ পীৰা, মজিয়াত বহি খোৱা গাখীৰ-মিঠৈ-চিৰা, চোতাল সৰা বাঢ়নী, গা-ধোৱা টিয়নী, গা-মোচা গামোচা, ৰৰষুণৰ বাবে জাপি, ভাত খোৱা কাঁহী-বাটি, লোটা-ঘটী, ধান জৰা কুলা-চালনী, গুৰা চালনী, মাছ মৰা জাল, প'ল, চেপা-চৰহা; গাভৰুৰ বিহা-মেখেলা, ডেকাৰ চুৰীয়া-চাপকন আদি দৈনন্দিন জীৱনৰ বিভিন্ন উপকৰণসমূহ আমাৰ সমন্বয়ৰ সংস্কৃতিৰে চানেকি। এনেহেন সমন্বয়ৰ সংস্কৃতিৰে অসমীয়া সংস্কৃতি সমৃদ্ধ। আজি কিন্তু এই সংস্কৃতিৰ ৰূপান্তৰ হোৱাৰ উপক্ৰম হৈছে। অৱশ্যে ৰূপান্তৰ ঘটিবই। সংস্কৃতিৰ বিনাশন নাই—ৰূপান্তৰ আছে। পিছৰ উকণৰ কাপোৰ বদলিছে, বহা সঁজুলীৰ ঢাবি পিৰাৰ সলনি চকী মেজ হৈছে। কৰ্মৰ পদ্ধতি বদলাৰ লগে লগে আহিলাৰো পৰিবৰ্তন হ'ল। বৰ্তমান যুগ পৰিবৰ্তনৰেই যুগ। জীৱন-ধাৰণৰ আহিলাৰোৰৰ সলনি হোৱাৰ লগে লগে জীৱনৰ মানদণ্ডৰো পৰিবৰ্তন হয়। আজি বিজ্ঞানৰ প্ৰগতিৰ লগে লগে সময়ৰে গতি দ্ৰুততৰ হৈছে। মিনিটৰ ভিতৰতে আমেৰিকা, ৰাচিয়াৰ খবৰ পাওঁ। দূৰদৰ্শনত পৃথিৱীৰ মানুহক মূহুৰ্ততে লগ পাওঁ। ঘৰৰ ভিতৰতে বহি আমেৰিকা, বিলাতৰ খেল চাওঁ। মূহুৰ্তৰ ভিতৰতে আকাশীযানেৰে দূৰ-দূৰণিৰ ঠাই পৰিভ্ৰমণ কৰিব পাৰোঁ। পৃথিৱীখন হু যেন এখন চুবুৰী হৈ পৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই বিভিন্ন আবিষ্কাৰেৰে মানুহৰ দৈনন্দিন জীৱন ধাৰাৰ অভাৱনীয় পৰিবৰ্তন সাধিছে। এই যুগত বিভিন্ন জাতিৰ সংস্কৃতিৰ সংঘাট ঘটিব ধৰিছে। পাশ্চাত্য দেশৰ সভ্যতা সংস্কৃতিয়ে আমাৰ ভাৰতত প্ৰৱেশ কৰি ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ পৰিবৰ্তন ঘটাইছে। খোৱা-লোৱা, পিন্ধা-উৰা, লিখা-পঢ়া কৰা আদি কামত আমাৰ পূৰ্বৰ পদ্ধতিৰ সলনি ঘটিছে। আচাৰৰ পত্ৰও বদলিছে। ইয়াৰ ফলত আমাৰ বহু উপকাৰ হৈছে যদিও কিছু অপকাৰো নোহোৱা নহয়। গ্ৰহণ আৰু বৰ্জন দুটা পদ্ধতিৰে আমি পৰিমাৰ্জিত হ'ব নোৱাৰিলে আমাৰ সংস্কৃতি বিজাতীয়া হোৱাৰ সম্ভাবনা আছে। আমি শেনচকু ৰাখিব লাগিব যাতে আমাৰ সৎ আৰু মহৎ আদৰ্শ আৰু আপুকগীয়া সংস্কৃতি দুষ্কৃতিৰে পৰিপূৰ্ণ নহয়।

নাৰীৰ উলংগ ৰূপ প্ৰদৰ্শন কৰা চিত্ৰ পশ্চিমীয়া সভ্যতাৰ আৱৰ্জনা; নাৰীৰ বিভৎস ৰূপ প্ৰকাশ কৰা পশ্চিমীয়া সাহিত্যৰ কদৰ্য ৰূপ। আমাৰ সভ্যতাত আৰু সংস্কৃতিত ই খাপ নেখায়। এই অপসংস্কৃতি আমাৰ সংস্কৃতিতো প্ৰৱেশ কৰিছে। এই অশ্লীল সাহিত্য আমাৰ সাহিত্যতো ঠাই পাইছে। এনে আবৰ্জনা আৰু কদৰ্য ৰূপৰ প্ৰদৰ্শন আৰু প্ৰয়োগ ৰোধ কৰিব লাগিব। বিচাৰ-বিবেচনাহীন অন্ধ-অনুকৰণৰ পিছত দৌৰি আমাৰ ভাৰতীয় আদৰ্শ কলুষিত কৰা, ভাৰতীয় পৰম্পৰা বিনষ্ট কৰা এই অশ্লীল সাহিত্য আৰু অপসংস্কৃতি বৰ্জন কৰা ভাৰতীয় তথা অসমীয়া জাতিৰ কৰ্তব্য। অসমীয়া সাহিত্যত এই অপসংস্কৃতি প্ৰৱেশ কৰিছে আমি তাক ৰোধ কৰিব লাগিব। অসমীয়া সাহিত্যত তাৰ প্ৰৱেশ নিষেধ কৰিব লাগিব। শিল্পী আৰু লিখকসকলে এইবোৰ প্ৰদৰ্শন কৰাৰ আগতে নিজৰ মাক-ভনীয়েকক মনত কৰা ভাল হ'ব। তেতিয়াহে নৃত্য স্তব্ধ হ'ব। লিখনি স্থবিৰ হ'ব। এই ক্ষেত্ৰত হিন্দী চিনেমা আৰু দূৰদৰ্শনে জাতীয় চৰিত্ৰ বিপথগামী কৰাত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। ভাৰত চৰকাৰৰ চেঞ্চৰ বোৰ্ডে এইবোৰ বাৰু বন্ধ নকৰে কিয়?

পাশ্চাত্য সভ্যতাৰ বতাহজাক সোমাবৰ বাবে আমাৰ মনৰ খিৰিকিহে খুলি ৰাখিব লাগে, আমাৰ মনৰ দুৱাৰ খুলিব নেলাগে। ভাৰতীয় আদৰ্শ আৰু সংস্কৃতিৰ বাবে মনৰ দুৱাৰ খুলি থব লাগে। খিৰিকিৰে ফুলৰ সুগন্ধ আৰু নৰ্দমাৰ দুৰ্গন্ধ দুয়োটাই সোমায়। আগতে বহু সুগন্ধি বতাহ সোমাল, এতিয়া দুৰ্গন্ধ সোমাব ধৰিছে; সেইবাবে অপসংস্কৃতিয়ে দেশ চানি ধৰিছে। অপসংস্কৃতি ৰোধ কৰিবলৈ দেশৰ মানুহ সাৱধান হবৰ হ'ল। নতুন ডেকা সকল আজি ধনত মত্ত । সমাজত আজি ধনৰ পূজা চলিছে, গুণৰ পূজা নাই। উন্নয়নশীল দেশবোৰত এই নিম্নগামী চিন্তা প্ৰায়ে গা-কৰি উঠা দেখা গৈছে। অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ নূন্যতম চাহিদাখিনি পূৰণ নহলে এনে হীনমান্য চিন্তা স্বাভাৱিকতে আহি পৰে। আমাৰ ভাৰতবৰ্ষও উন্নয়নশীল দেশ হোৱা বাবে এই আদৰ্শহীন চিন্তাই সমাজ জীৱন কলুষিত কৰি তুলিছে। সাহিত্য-সংস্কৃতিৰ সাধকসকলে ইয়াৰ প্ৰতিবিধান নকৰিলে নৈতিক আদৰ্শবিহীন সাহিত্যই জাতিৰ অধঃপতন মাতি আনিব।

আমাৰ গীতিকাৰসকলে সাম্প্ৰতিক কালত ভাল ভাল গান ৰচনা কৰিছে। গায়ক সকলেও কোকিল কণ্ঠেৰে গীতমাত গাই জনসাধাৰণক তৃপ্তি দান কৰি আহিছে। কিন্তু ইয়াতে এটা দুস্কৃতিও সোমাই পৰিছে। একো একোজন গায়কে দুটা চাৰিটা গান পৰিৱেশন কৰিয়েই কুৰি-পঁচিশ হেজাৰ টকা দাবি কৰে। ফলত অনুষ্ঠান বিলাকে অত্যাধিক দান ৰৱণ্ডণি জনসাধাৰণৰ পৰা আদায় কৰিব লগা হয়। চান্দা আদায়কাৰী দলবিলাকে জো�ৰ-জুলুম কৰি বেপাৰী, কৰ্মচাৰী আৰু মটৰগাড়ী আদিৰ পৰা টকা আদায় কৰে। এইবোৰো দুৰ্নীতিৰ ভিতৰতে পৰে। এই জোৰ-জুলুমবোৰ বন্ধ নকৰিলে সমাজ জীৱন অতিষ্ঠ হৈ পৰিব। এজন বা দুজন গায়কক বহুত টকা দিয়াতো কোনো যুক্তিৰ কথা নহয়। আজিকালি উঠি অহা গায়ককহে কিছু মাননি দিব লাগে, যাতে তেওঁলোক অৰ্থ সংকটৰ পৰা উদ্ধাৰ পাই সংগীতৰ দিশত আগবাঢ়িব পাৰে। তেলিৰ মূৰত তেল ঢালিব নালাগে। সমাজে এই বিষয়ে নজৰ কৰা ভাল। তাৰ উপৰি পশ্চিমীয়া বাদ্যযন্ত্ৰৰ ইমান পয়োভৰ চলিছে যে অসমীয়া বাদ্যযন্ত্ৰৰ ব্যৱহাৰ প্ৰায় নাইকিয়া হৈ গৈছে। ৰৱগীতকো বিভিন্ন বাদ্যযন্ত্ৰৰে পৰিবেশন কৰা হয়। আচলতে ৰৱগীতৰ বাবে খোল, তালহে ব্যৱহাৰ কৰা যুগুত কাৰণ ইয়াৰ লগত অসমীয়া বাদ্যযন্ত্ৰৰ ঐতিহ্য জৈ আছে। সমাজে এই বিষয়ে নজৰ কৰা ভাল। সকলো প্ৰকাৰৰ দুষ্কৃতি নিধন হওক, এয়ে সমাজৰ সিদ্ধান্ত হোৱা উচিত। সাৰ-পানী পুলিতে দিয়ক; তেহে ডাঙৰত ভাল ফল আশা কৰিব পাৰিব। জাতি-মাটি, ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিষয় বহু বলকিলো; আপোনালোকে বৰ বিৰক্তি অনুভৱ কৰিছে। গতিকে আৰু আমনি নকৰো। অসম সাহিত্য সভাৰ বিষয়ে কেইষাৰমান কৈ মোৰএই অসাৰৱা আমনিদায়ক ভাষণৰ সামৰণি মাৰিম।

অসম সাহিত্য সভা কাৰো ব্যক্তিগত সম্পত্তি নহয়। ই অসমৰ অসমীয়া জাতিৰ জাতীয় অনুষ্ঠান। জাতি, ধৰ্ম, বৰ্ণ, ৰাজনৈতিক দল নিৰ্বিশেষে সকলোৱে ইয়াত অংশগ্ৰহণ কৰিব পাৰে আৰু সকলোৰে সমান অধিকাৰ আছে। কোনোৱে কাকো হকা-বধা কৰাৰ অধিকাৰ নাই। সাহিত্য সভাই আহ বুলি মাতিব পাৰে; কিন্তু যা বুলি ক'ব নোৱাৰে। অসম সাহিত্য সভা অৰাজনৈতিক অনুষ্ঠান। ইয়াত সকলো ৰাজনৈতিক দলৰ ব্যক্তি প্ৰৱেশ কৰিব পাৰে; কিন্তু কোনেও সাহিত্য সভাৰ মঞ্চ ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰিব নোৱাৰে আৰু অনুষ্ঠানটোক কোনো ৰাজনৈতিক মতবাদ বহনকাৰী অনুষ্ঠান ৰূপে ব্যৱহাৰ কৰিব নোৱাৰে। সকলো জাতি, ধৰ্ম, ভাষা, ৰাজনৈতিক দলৰ সংগম স্থান হলেও অসম সাহিত্য সভা কোনো গোষ্ঠীৰে একাধিপত্য বিস্তাৰ কৰাৰ মঞ্চ নহয়। ই মূলতঃ সাহিত্য সংস্কৃতিৰহে মঞ্চ। এই মঞ্চত উপবিষ্ট হৈ কোনেও জাতিদ্রোহী,

দেশদ্রোহী ভাব ব্যক্ত কৰিব নোৱাৰে।

অসম সাহিত্য সভা চৰকাৰী বিৰোধী অনুষ্ঠানো নহয়। সেইবাবে অনুদান পোৱাৰ যোগ্য আৰু পায়ো আছে। কিন্তু চৰকাৰী অনুদান পালে বুলিয়েই চৰকাৰৰ বহতীয়া অনুষ্ঠানো নহয় যে চৰকাৰৰ নিৰ্দেশ মতেহে চলিব। অসম সাহিত্য সভা স্বতন্ত্ৰীয়া, নিৰপেক্ষ, ৰাজহুৱা অনুষ্ঠানহে। এই কথা সকলোৱে মনত ৰখা ভাল। ইয়াত চৰকাৰ পক্ষ বা বিপক্ষ বোলা কোনো কথা উঠিব নোৱাৰে। দিনত গ্ৰন্থ, ৰাতি কণ্ঠ—সাহিত্য সভা গ্ৰন্থ আৰু কণ্ঠৰ সমাবোহ। দিনৰ ভাগত সাহিত্যৰ আলোচনা বিলোচনা হয় আৰু ৰাতিৰ ভাগত নৃত্য-গীতৰ মধুৰ মূৰ্ছনাবে চক্ষু-কৰ্ণৰ তৃপ্তি সাধন হয়। অহোৰাত্ৰ অতিবাহিত হয় নিৰবচ্ছিন্ন আনন্দ ৰসেৰে।

সাহিত্য সভা অৰাজনৈতিক, বিদ্যায়তনিক আৰু সাংস্কৃতিক অনুষ্ঠান হোৱা বাবে সাহিত্য সংস্কৃতিৰ সাধনাই ইয়াৰ প্ৰধান লক্ষ্য। এই বিলাকৰ চিন্তা-চৰ্চা আৰু আলোচনাৰ জৰিয়তে সাহিত্য সংস্কৃতিৰ অৱক্ষয় বোধ কৰি সমাজখনক নিকা কৰাৰ উপৰিও এখন সুসংহত প্ৰগতিশীল অসমীয়া সমাজ গঢ়ি তোলাই ইয়াৰ অন্যতম লক্ষ্য। এই উদ্দেশ্যত ব্ৰতী হৈ সাহিত্য সংস্কৃতিৰ বিশাল বিষয়টি দিনে ৰাতি দুভাগ কৰি চিন্তন আৰু প্ৰদৰ্শনৰ জৰিয়তে চিন্তাৰ স্ৰোত প্ৰবাহিত কৰিবলৈ পৰোক্ষ ভাবে চেষ্টা কৰা হয়। এই কাৰণেই ভিন্নজনৰ বিভিন্ন চিন্তাই বিতৰ্কৰ মুখা মুখি কৰে। ই কোনো স্বয়ংকাৰী চিন্তা নহয় বৰং সুপ্ত মনক জাগৰিত কৰি চিন্তাৰ স্ৰোত প্ৰবাহিত কৰাৰহে সহায়ক হয়।

সাহিত্য সভাই জনসাধাৰণক সৃষ্টিশীল প্ৰক্ৰিয়াত মনোনিবেশ কৰি সাহিত্য সাধনাত ব্ৰতী হোৱা যুগুত বুলি ভাবে। এই বিশাল ঐতিহ্যপূৰ্ণ সংগঠনটোৱে অসম আৰু অসমীয়াৰ প্ৰগতি আৰু সংহতিৰ দিশতো কৰিব লগা অনেক কাম আছে। ভাৰতত অনেক ভাষা আছে; বিভিন্ন ধৰ্ম আছে আৰু বিভিন্ন ধৰ্ম আছে আৰু বিভিন্ন সংস্কৃতি আছে। ভাষা-ধৰ্মৰ ফালে কোনো মিল নাই; কিন্তু সাংস্কৃতিক মিলনৰ ফলত ভাৰতবৰ্ষ এক ভাৰতীয় জাতি হৈ আছে। ঠিক তেনেদৰে অসমতো বিভিন্ন ভাষা-ধৰ্মৰ মিল নাথাকিলেও সংস্কৃতিৰ ফালেৰে আমি এক অসমীয়া হৈ মিলি থাকিব পাৰিম। জনজাতিৰ সংস্কৃতিৰ লগত অজনজাতিৰ সাংস্কৃতিক বিনিময়ৰ জৰিয়তে আমি চিৰদিন অসমীয়া জাতি হৈ থাকিব পাৰিম। কিন্তু বৰ্তমান সময়ত সংহতি আৰু অস্তিত্ব ৰক্ষাৰ প্ৰশ্নটোৱে অসমীয়াৰ সম্মুখত জটিল প্ৰশ্ন হৈ দেখা দিছে। অসম বিৰোধী এচাম সাম্প্ৰদায়িক আৰু ভিন্ন ভাষিক লোকে বিভাজনকামী মনোবৃত্তিৰে অসমখন খান বান কৰি ৰাজনৈতিক মুনাফা আদায় কৰাৰ ষড়যন্ত্ৰ আৰম্ভ কৰিছে। আমি তাক নিৰ্মম আৰু নিৰ্মোহভাবে প্ৰতিৰোধ কৰিব লাগিব। অসমখন খণ্ড বিখণ্ড কৰি শাসন কৰাযি ৰাজনৈতিক মানসিকতা গঢ়ি উঠিছে তাক দৃঢ় পদক্ষেপেৰে আগবাঢ়ি গৈ বাধা দান কৰিব লাগিব। অসমখন কাৰো উত্তৰাধিকাৰ সূত্ৰে পোৱা ৰাজ্য নহয়। ই এখন গণতান্ত্ৰিক ৰাজ্য। ৰাইজৰ মতে ইয়াত চৰকাৰ গঠন কৰা হয়। সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই দি একশ্ৰেণীৰ মৌলবাদীয়ে ইয়াত নৰমেধ যজ্ঞ আৰম্ভ কৰিলে আমি নিশ্চল হৈ নিৰবে বহি থকাটো কাপুৰুষালিৰে পৰিচায়ক হ'ব। অসম সাহিত্য সভা নিশ্চল, নিৰ্বিকাৰ আৰু নিষ্ফল অনুষ্ঠান নহয়। সাহসেৰে প্ৰতিবাদ কৰি ষড়যন্ত্ৰৰ কথা জনসমাজত বেকত কৰিব লাগিব। সাম্প্ৰদায়িক আৰু বিভাজনকামী একাংশ বুদ্ধিজীবীৰ যি চাতুৰী চলিছে তাক উন্মুক্ত কৰি ৰাইজৰ আগত দাঙি ধৰিব লাগিব। লগতে সমন্বয় আৰু সংহতি ৰক্ষাৰ বাবে নতুন কৰ্ম আঁচনি তৈয়াৰ কৰিব লাগিব। ই সময়ৰ প্ৰত্যাহ্বান। সাহিত্য সংস্কৃতিৰ নতুন দিশ উন্মোচন কৰাৰ পৰিবৰ্তে যেন ঐক্য আৰু সংহতি ৰক্ষাৰ বাবেহে আমি যুঁজ দিব লগা হৈছে। ই আমাৰ দুৰ্ভাগ্য।

সম্প্ৰীতি আৰু সংহতি পৰস্পৰৰ প্ৰেমেৰেহে হয়, শ্লোগানেৰে নহয়। সৌজন্যৰ বাবে কৰমৰ্দন কৰিবলৈ এজনে হাতখন আগবঢ়াই দিলে আনজনে যদি হাতখন কোঁচাইনিয়ে তেন্তে কৰমৰ্দন নহয়, সৌজন্য প্ৰদৰ্শনো নহয়। সম্প্ৰীতি আৰু সংহতিৰ বাবে দুয়োপক্ষই প্ৰেমৰ হাত আগবঢ়াব লাগিব। ঐক্য আৰু সংহতিৰ উদ্দেশ্য আগত ৰাখি ভাষা, সাহিত্য, সংস্কৃতিৰ ৰক্ষাৰ অৰ্থে বৌদ্ধিক যুঁজ এখন চলাবলৈ দৃঢ় সংকল্পবদ্ধ হ'ব লাগিব। সীমিত বুদ্ধিমত্তাবে হলেও কুবুদ্ধিজীৱিসকলৰ ইন্দ্ৰজাল মবিমূৰ কৰিবলৈ আগবাঢ়ি যাবৰ সাহস গোটাব লাগিব।

প্ৰায় আঠশবো অধিক শাখাসভা বিশিষ্ট অসম সাহিত্য সভাৰ বহুতো শাখা বহুবছৰ আগৰ পৰাই নিষ্ক্ৰিয় হৈ আছে। এইবোৰ হয় সজীৱ কৰি তুলিব লাগে নতুবা এইবোৰ বাতিল কৰিব লাগে। বহুবেৰীয়া অধিবেশনৰ সময়ত প্ৰতিনিধি প্ৰেৰণ কৰাই যেন শাখা সভাবোৰৰ উদ্দেশ্য। এই মনোবৃত্তি নিন্দনীয়। সংবিধান প্ৰদত্ত নিয়ম কানুন মানি কৰণীয় যিনি নকৰিলে দেখাত বা লেখত এখন শাখা সভা থকাৰ প্ৰয়োজন নাই। শাখা-সভাবোৰেহে স্থানীয় উদ্দীপনা আনিব পাৰে। স্থানীয় সাংস্কৃতিক

সম্পদৰ বিষয়ে সমাজক অৱগত কৰাব পাৰে আৰু সাংস্কৃতিক ক্ষেত্ৰত উদ্দীপিত কৰিব পাৰে। জনজাতি অজনজাতি, সংখ্যা লঘিষ্ঠ, সংখ্যাগৰিষ্ঠসকলৰ মিলনসেতু নিৰ্মাণ কৰিব পাৰে। নতুন শাখা খুলি সাহিত্য আলোচনাৰ বাট মুকলি কৰিব পাৰে, ইয়াৰ উপৰি জিলাসভাৰ পৰিসৰ বঢ়াব পাৰে। জিলাসভাবোৰ সক্ৰিয় হৈ উঠিলেহে মূল অসম সাহিত্যসভা শক্তিমন্ত হ'ব। সেইবাবে জিলাসহিত্য সভাবোৰ কৰ্মতৎপৰ হ'ব লাগে। অসম সাহিত্য সভাত দৃষ্টিকটু নিৰ্বাচন অনুষ্ঠিত নকৰি জিলা সভা বিলাকৰ নিৰ্বাচন কৰিলে বেছি ভাল হ'ব বুলি অনুমান হয়। সভাই চিন্তা কৰি নিয়মাৱলী সংশোধন কৰিলে ভাল হ'ব। শাখা-সভা, জিলা-সভা আৰু মূল সভা এই তিনি খ লপীয়া ব্যৱস্থাৰে অসম সাহিত্য সভা নিয়াৰিকৈ চলিব লাগে।

ধনৰ অভাৱ হলে কোনো গৃহস্থালি নাইবা অনুষ্ঠান নচলে। কথাতে আছে ধনহীন পুৰুষ মৃত। জানা ধনঞ্জয় ধন নহলে কাৰ্য্য নিসিজয়। ধনৰ অভাৱত আমাৰ অনুষ্ঠান নিষ্ক্ৰিয় হৈ পৰিব। পুঁজিৰ অভাৱত আমি কোনো কামতে আগ বাঢ়িব নোৱাৰিম। আত্মনিৰ্ভৰশীল হবৰ কাৰণে আমি ১৯৮০ চনৰ ডিফু অধিৱেশনতে প্ৰস্তাৱ লৈছিলো এককোটি টকাৰ ন্যাসপুঁজি গঠন কৰিবলৈ। কিন্তু আজি চৈধ্যবছৰে ওঠৰ লাখ টকাহে উঠিল। জাতীয় ন্যাসপুঁজি পূৰণৰ চেষ্টা কৰিব লাগিব। সুদীৰ্ঘ চৈধ্যবছৰত মাথোন ওঠৰ লাখ টকাৰ দান বৰঙণিয়ে সাহিত্য সভাৰ দুৰ্বলতা আৰু ৰাইজৰ অনীহা প্ৰকাশকে সূচাইছে। বৰ দুখৰ কথাযে ১৯৮০ চনত চৰকাৰে অনুদান বন্ধ কৰোঁতে ৰাইজে নিজে সাহিত্য সভাত কোটি টকীয়া পুঁজি নিৰ্মাণৰ আঁচনি দিছিল। কিন্তু আজিকোপতি দান বৰঙণিৰে লক্ষ্যত উপনীত হ'ব নোৱাৰিলে। সৰ্থেবাৰীৰ ল'ৰা হিচাপে মোৰ এটা কথা মনত পৰিছে। এই সৰ্থেবাৰীতে ১৯৪০ চনত সৰ্থেবাৰী হাইস্কুল নিৰ্মাণ কৰিবলৈ ধনৰ অভাৱ হোৱাত সৰ্থেবাৰীৰ ৰাইজে ধন সংগ্ৰহৰ এটা বুদ্ধি উলিয়ালে। প্ৰতিখন বিয়াত দৰাৰপৰা ৩০.০০ টকা আৰু কইনাৰপৰা ১৫.০০ টকা হিচাপে একোখন বিয়াৰপৰাই বৰঙণি আদায় কৰিছিল। সেই ধনেৰে স্কুলৰ শিক্ষক সকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰিলে। স্কুলখন ঘাটি মঞ্জুৰী প্ৰাপ্ত নোহোৱা পৰ্যন্ত এই ব্যৱস্থা চলি আছিল। অসম সাহিত্য সভায়ো অসমৰ বিয়া-বাৰুৰ ক্ষেত্ৰৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এই ব্যৱস্থা গ্ৰহণ কৰিলে অচিৰে এই কোটি টকীয়া পুঁজি গঠন হ'ব; আৰু তাৰ সূতেৰে সাহিত্য সভাৰ কাম নিৰ্বিঘ্নে চলি যাব। এই কামৰ বাবে শাখা সভা বিলাকক অধিৱেশনৰ সময়তে ন্যাসপুঁজিৰ বহীবোৰ চমজাই দিলে ভাল হয়। এই ক্ষেত্ৰত সাহিত্য সভাৰ শাখা বিস্তাৰ কৰিব লাগিব। চাহবাগিছাৰ অঞ্চল, চৰ অঞ্চল আৰু পাহাৰ ভৈয়াম সকলোতে শাখা সভা গঠন কৰিব লাগে, যাতে অসমৰ কোনো অঞ্চল উপেক্ষিত নহয়। এই কামত তিনিটা উদ্দেশ্য সিদ্ধি হ'ব। প্ৰথমতে শাখা সভা বৃদ্ধি হ'ব। দ্বিতীয়তে ধন কোষ বৃদ্ধি হ'ব। তৃতীয়তে সম্প্ৰীতি আৰু সংহতি স্থাপন হ'ব। তাৰ উপৰি, ন্যাস পুঁজিৰ বাকছ একোটা কৰি অধিৱেশনৰ তোৰণৰ সম্মুখত ৰাখিলে ৰাইজে স্বতস্ফূৰ্তভাৱে দান আগ বঢ়াব। মাত্ৰ এটকাকৈ দান দিলেও কেবা লাখ টকা পোৱা যাব।

অসম সাহিত্য সভাই জনমানসত উচ্চস্থান লাভ কৰিছে। ইয়াৰ ভাবমূৰ্ত্তি উজ্জ্বল কৰিবলৈ যত্নৰ ত্ৰুটি কৰিব নালাগে। এতিয়াও একাংশ লোকে সমালোচনাৰ দৃষ্টিৰে চাই ত্ৰুটি বিচ্যুতিৰ খবৰ আমাক জনাইছে। এই ক্ষেত্ৰত তেওঁলোকক উপদেশক উপেক্ষা নকৰি শ্ৰদ্ধা সহকাৰে গ্ৰহণ কৰিলে সভা উপকৃত হ'ব। মাননীয় প্ৰাক্তন সভাপতিসকলৰ আধৰুৱা কৰ্ম আঁচনিবোৰ সফল ৰূপায়ণৰ ব্যৱস্থা কৰিব লাগে। প্ৰত্যেকজন সভাপতিৰ আঁচনি অৰ্দ্ধসমাপ্ত হৈ ৰৈ গৈছে। এই আধৰুৱা আঁচনিবোৰ সফলতাৰে ৰূপায়ণ কৰিব পাৰিলে নিশ্চয় বহু সমালোচনাৰ হাত সাৰিব পৰা যাব; আৰু আমিও উপকৃত হম.। সেইকাৰণে আমাৰ দ্বাৰা সংখ্যাগধুৰ আঁচনি লোৱা নহ'ব।

অসম সাহিত্য সভা এটা বিৰাট অনুষ্ঠান। কিন্তু অৰ্থনৈতিক দিশত ঋণগ্ৰস্ত। চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ আধৰুৱা কম, প্ৰকল্পৰ কাম, ভাষা-সমন্বয় মঞ্চৰ কাম, জনজাতি-অজনজাতি মিলনৰ সেতু বন্ধন, চাহবাগান আৰু চৰ অঞ্চলৰ নিবাসী সকলৰ লগত নিবিড় সম্পৰ্ক স্থাপন আজি জাতীয় মিলনৰ কামবোৰ আধৰুৱা হৈ ৰৈ আছে। সেইবোৰ কাম অতি জৰুৰী। এই বোৰ কাম কৰাৰ বাবে আত্মনিয়োগ কৰিবলৈ প্ৰস্তুত হ'ব লাগিব। তাৰ উপৰি, আমাৰ দাঁতি কাষৰীয়া, পাহাৰৰ জনজাতীয় ভাই সকলৰ লগত সৌহাৰ্দপূৰ্ণ মিলনৰ সেতু নিৰ্মাণ কৰা অবশ্যে কৰ্তব্য। সকলোৰে ভাষিক, সাংস্কৃতিক ঐতিহ্য বজাই ৰাখি সমিলমিলৰ মাজেৰে হিয়া দিয়া লোৱা কৰি পৰস্পৰে মিলিব পাৰিলে আমাৰ বহু সামাজিক আৰু ৰাজনৈতিক সমস্যা সমাধান কৰাত সহায়ক হ'ব। আমি তেওঁলোকৰ শৰীৰ দেখিছোঁ, মন দেখা নাই। কৰমৰ্দন কৰিছোঁ, কিন্তু হৃদয় মন্থন কৰিব পৰা নাই। ইয়াতে বিভেদৰ সৃষ্টি হৈছে। এই কথা হৃদয়ঙ্গম কৰি আগ বাঢ়ি গ'লে নিশ্চয় কিছু সুফল পাম বুলি আমাৰ বিশ্বাস। অসমীয়া ভাষা

সকলোৰে উমৈহতীয়া সংযোগী ভাষা আছিল। তাক আমি কাকো জাপি দিয়া নাছিলো। স্বতঃস্ফূৰ্তভাবে জনসাধাৰণৰ মাজত প্ৰয়োজনৰ তাগিদাত প্ৰচলিত হৈছিল। ব্যৱসায় বাণিজ্যৰ আদান-প্ৰদানৰ মাজেৰে প্ৰয়োজনীয়তা প্ৰতিষ্ঠিত হৈছিল। কিন্তু আজি ৰাজনৈতিক বিভেদকামিতা প্ৰকট হোৱা বাবে আঁহফলা অৱস্থাপ্ৰাপ্ত হৈছে। আমি তাৰ নিৰাকৰণ কৰিব লাগিব। অৰুণাচল, মিজোৰাম, নগালেণ্ড আদিত কেনেদৰে আমি মন জয় কৰি সাতভনী ৰাজ্যত বিভেদৰ ভাৰ আঁতৰাই পূৰ্বৰ মিলনৰ মধুৰ গান ৰচনা কৰি পূৰ্বাঞ্চলৰ অৰ্থনীতিৰ উন্নয়ন ঘটাই সুখে সন্তোষে জীৱন যাপন কৰিব পাৰোঁ; তাৰেই চেষ্টা কৰিব লাগিব।

আজিৰ অসম, সংঘাতৰ অসম। আজিৰ অসমীয়া বিভ্ৰান্তিৰ দুৱাৰ ডলিত। ৰাজনৈতিক বিভেদকামিতা আৰু অৰ্থনৈতিক অনগ্ৰসৰতাই ইয়াৰ মূল কাৰণ বুলি আমাৰ ধাৰণা হয়। অসম সাহিত্য সভা যিহেতুকে এটা অৰাজনৈতিক অনুষ্ঠান, সেই ক্ষেত্ৰত আমাৰ ভূমিকা সীমিত। ইয়াৰ মাজেৰে আমি উমৈহতীয়া সূত্ৰ আৱিষ্কাৰ কৰিব লাগিব। পৰ্ব্বত আৰু ভৈয়ামৰ মাজত যাতে বৈৰীভাৱ নাহে তালৈ লক্ষ্য ৰাখি আগবাঢ়িব লাগিব। এইবোৰ কথা আৰু কাম বৰ স্পৰ্শকাতৰ, এৱাৰ জিভা পিছলিলেই সৰ্বনাশ হ'ব। গতিকে সংহত ভাৱে খোজ দিব লাগিব। সংযত ভাৱে শব্দ উচ্চাৰণ কৰিব লাগিব।

আমাৰ মাজত থকা ভৈয়াম জনজাতি ভাইসকলৰ আশা আকাংক্ষাক সম্মান জনাই তেওঁলোকৰ অন্তৰৰ বেদনা অনুভৱ কৰিবলৈ চেষ্টা কৰিব লাগিব। তাতেহে বিভেদৰ ঠাইত অভেদৰ সৃষ্টি হ'ব। এইবোৰ কৰ্ম সমাধা কৰিবলৈ চেষ্টা কৰা হ'ব। ৰাইজ আৰু ৰজাৰ মঙ্গলৰ আচনিকে লোৱা হ'ব। আমি যেন কোনো ৰাজনৈতিক দলীয় চক্ৰত নপৰো তেনে উপদেশকে ৰাইজে আমাক দিব লাগিব। এই ক্ষেত্ৰত বাতৰি কাকত সমূহৰ ভূমিকা অগ্ৰণী। সাহিত্য সভাই যাতে নিৰপেক্ষ চৰিত্ৰ অটুট ৰাখিব পাৰে, তাকেই বাতৰি কাকত বিলাকে আৰু সাংবাদিকসকলে সঁকীয়াই থাকে যেন। সাহিত্য সভা যাতে বিতৰ্কিত অনুষ্ঠান হৈ নপৰে তাকে কামনা কৰিলোঁ।

বিদেশীৰ প্ৰশ্ন ঃ বিদেশী সমস্যা আজিও সমাধান হোৱা নাই। দেশৰ কাৰণে ই বৰ বিপদৰ কথা। দেশ বিভাজনৰ সময়ত ১৯৪৭ চনত অহা সকলো বিদেশীকে ভাৰতীয় নাগৰিক বুলি মানি লোৱা হৈছিল। তাৰ উপৰি ১৯৭১ চনৰ বাংলাদেশ সৃষ্টি হোৱাৰ আগতে অহা সকলকো অসম চুক্তিমতে ভাৰত চৰকাৰে ভাৰতীয় নাগৰিক বুলি মানি লৈছে। ১৯৭১ চনৰ পিছত অহা অবৈধ অনুপ্ৰবেশকাৰীকহে বিদেশী বুলি ধৰি লোৱা হৈছে। এতিয়া এই বিদেশীসকলক চিনাক্ত কৰি ভাৰত তথা অসমৰপৰা বহিস্কাৰ কৰিব লাগে বুলি দাবি উঠিছে। এই সহজ কথাষাৰকে হৈ চৈ কৰি একশ্ৰেণীৰ স্বাৰ্থজড়িত ৰাজনৈতিক নেতাই বিধি পথালি দিছে। দেশৰ বাবে ই বৰ দুৰ্ভাগ্যৰ কথা। হিন্দুই হওঁক, কেনোবা মুছলমানেই হওক বিদেশী বিদেশীয়েই। তাত ধৰ্মৰ লেবেল লগাই স্বদেশী কৰা নেযায়। এক শ্ৰেণীৰ ৰাজনৈতিক মৌলবাদী দলে এই সহজ কথাষাৰ ধৰ্মৰ ৰংসানি বিকৃত কৰি তুলিছে। ৰাজনৈতিক মুনাফা আদায়ৰ বাবে এই শ্ৰেণীৰ মৌলবাদী লোকে নিজস্বাৰ্থ পূৰণহেতু দেশৰ স্বাৰ্থ বিসৰ্জন দিছে। ই বৰ পৰিতাপৰ কথা। এনেবোৰ লোকে আমাৰ ঘোৰ অন্যায় কৰিছে। বিদেশী সমস্যাৰ লগত অৰ্থনৈতিক সমস্যা জড়িত আছে। দেশত মানুহ বাঢ়ি গ'লে খেতিৰ মাটিৰ নাটনি হ'ব। তাৰ কাৰণে জন্মনিৰোধৰ আঁচনি আমাৰ চৰকাৰে লৈছে। পিছে নিজৰ দেশৰ মানুহে জন্ম নিয়ন্ত্ৰণ কৰি বিদেশৰ লোকেৰে দেশ ভৰিলে কি সাৰ্থকতা হ'ব জন্ম নিয়ন্ত্ৰণ আঁচনিৰ? নিজৰ ল'ৰা কমালে লোকৰ ল'ৰাৰে ঘৰ ভৰালোঁ, পাকঘৰৰ ভাতে আতিৰ কিয়? দলে দলে অহা অবৈধ প্ৰব্ৰজনকাৰীক বাধা নিদিলে দেশৰ মানুহৰ মাটি বিদেশী মানুহৰ হাতলৈ যাব। ভোটৰ কাৰবাৰ খন কৰা ৰাজনৈতিক দলৰ ভোটবেংক হৈ দেশৰ মাটি আবাদ কৰিলে ভৱিষ্যৎ দেশৰ সন্তানৰ বিপদ হ'ব। এই খন স্বদেশীৰ ৰাজ্য নহৈ বিদেশীৰহে ৰাজ্য হ'ব। গতিকে বিদেশী চিনাক্ত কৰণ কৰি বহিস্কাৰ কৰিব লাগে। কোনো দেশে বিদেশীক ঠাই নিদিয়ে; কেৱল ব্যতিক্ৰম অসমহে, ভাৰতহে।

কৰ্ম্ম আঁচনি ঃ চাহে চৰে আমাৰ কৰ্ম, জনজাতি অজনজাতিৰ মিলনেই অসমীয়াৰ ধৰ্ম। আমাৰ চাহ বাগানত কাম কৰা বনুৱা ভাইসকলৰ মাজত আমি কৰিবলগীয়া বহুত কাম আছে। কৃষক বনুৱাক লৈ আমি অসমীয়া জাতি; চৰ অঞ্চলৰ কৃষক ভাইসকলৰ আৰু চাহ বাগানৰ বনুৱা ভাইসকল আজিও নিস্পেষিত, নিৰ্যাতিত আৰু অৱহেলিত হৈ আছে। এই দুখীয়া -নিচলা ভাইসকলক পেটৰ ভাত মুঠি গাৰ কাপোৰখনি আৰু বাসগৃহটিৰ নিৰ্মাণৰ বুদ্ধি কৌশল দিব লাগিব। মধ্যস্বত্ব ভোগী দালাল শ্ৰেণীৰ শোষণৰ পৰা তেওঁলোকক উদ্ধাৰ কৰিব নোৱাৰিলে তেওঁলোকৰ দুখৰ অন্ত নপৰিব। তেওঁলোকক বুজাই দিব লাগিব কাৰবাৰী তেওঁলোক শোষিত হৈছে। কাৰ কূট -কৌশলত তেওঁলোকৰ আৰ্থিক প্ৰগতি লাভ হোৱা নাই।

অসমীয়া জাতিৰ দুটা খলপ—জনজাতি আৰু অজনজাতি। আমাৰ হুমাজত ভুল বুজা-বুজি হৈ খলপ দুটা বিভেদ হবৰ উপক্রম হৈছে। আমি বুজাই বঢ়াই সহনশীলতাৰে দুয়োটা খলপ পূৰ্বৰ দৰে একলগ কৰি ৰাখিব লাগিব। খলপ দুটা বিচ্ছিন্ন হলে দুয়োৰে ক্ষতি হ'ব—এই কথা যেন সকলোৱে মনত ৰাখে। অসমীয়া জাতিৰ ধৰ্ম বা কবচ হৈছে দুই খলপৰ মিলন। সেইবাবে অসম সাহিত্য সভাৰ কাম হব চাহ বাগান, চৰ অঞ্চল আৰু জনজাতি অধ্যুষিত অঞ্চলত সম্প্রীতিৰ ভাৰ প্রগাঢ় কৰা। জাতি গঠনৰ প্রক্রিয়াতো গুৰুত্ব দিব লাগিব। সাহিত্য সভাৰ শাখা সভা প্রতি অঞ্চলতে গঠন কৰিব লাগিব, যাতে আমি মিলিত হোৱাৰ সুযোগ ঘটে।

অসমত সাতশৰো অধিক চাহবাগান আছে। চাহৰ কাৰণে অসম জগত বিখ্যাত। এই চাহ বনুৱাসকলক ইংৰাজ চাহ খেতিয়কসকলে আজি প্রায় দুশ বছৰ আগতে ভাৰতৰ বিভিন্ন ঠাইৰপৰা আনিছিল। এই বাগানীয়া লোকসকল উত্তৰ ভাৰতৰ বিহাৰ, উৰিষ্যা, উত্তৰ প্রদেশ, মধ্যপ্রদেশ, পশ্চিমবংগ আদিৰপৰা আৰু দক্ষিণ ভাৰতৰ তামিলনাদু, অন্ধ্রপ্রদেশ আদিৰপৰা অহা লোক। উত্তৰ ভাৰতৰ বনুৱা জনসংখ্যা অধিক আছিল। তেওঁলোক আজি হাড়ে হিমজুৰে অসমীয়া হৈ পৰিছে। তেওঁলোক অসমীয়া জাতিৰ মূলসুঁতিৰ লগত মিলি গৈছে। বাগানত বাস কৰা বাবে আমি বাগানীয়া বুলি কৈছোঁ। এই লোক সকল কিন্তু বাগিচাৰ নিয়ন্ত্রণতহে চলে। কিছুমান বাগিচাৰ মালিকসকলৰ স্কুলত হিন্দী মাধ্যমৰ ল'ৰা ছোৱালী পঢ়ায়। বিভিন্ন ভাষা-ভাষী মানুহৰ সংমিশ্রণত, এওঁলোকৰ মাজত এটা উমৈহতীয়া ভাষাৰ সৃষ্টি হৈছে। তাৰেই নাম "সাদানী" ভাষা। এয়ে বাগানীয়া ভাষা। এওঁলোকৰ সংযোগী ভাষা অসমীয়া।

চাহ বাগিচাৰ মালিক গোষ্ঠীৰ শাসনতহে এওঁলোকৰ সমাজ চলে। চাহকৰ্মচাৰীৰ সংঘ আৰু এচাম নিম্ন বৰ্গৰ কৰ্মচাৰীৰ মৰ্জিত এওঁলোকৰ জীৱন নির্ভৰ কৰে। অবিভক্ত কাছাৰ আৰু অবিভক্ত শিৱসাগৰ জিলাৰ বাগানৰ স্কুলবোৰ বৰ্তমান চৰকাৰে লৈছে। কিন্তু শিক্ষক সকল অৰ্হতাহীন, বাকীবোৰ চাহবাগানৰ মালিকৰ অধীনত চলে। শিক্ষক নিযুক্তিৰ ক্ষেত্রত দুৰ্নীতিয়ে খোপনি পুতিছে। শিক্ষা বিষয়া বাগিচালৈ নেযায়েই। এওঁলোকৰ মাজত চাহ মজদুৰ সংঘ আছে। প্রতি বাগিচাত একোখনকৈ সংঘৰ সমিতি আছে। জিলা বা আঞ্চলিক সমিতিও আছে। কিন্তু সকলোবোৰ ৰাজনীতিত লিপ্ত বা মত্ত বুলি বাগানৰ বনুৱা ৰাইজে অভিযোগ কৰে। এইবোৰ সংগঠনৰ নেতাসকলে ভাষা সংস্কৃতি বিকাশৰ বাবে বিশেষ চিন্তা কৰা লোক বুলি মনে নধৰে। অসম চাহ কৰ্মচাৰী সংঘ নামৰ এটি অনুষ্ঠানো আছে। কৰ্মচাৰী সকল অসমীয়া ভাষী লোক। বাগানত বাবু সংস্কৃতিহে চলে। সেইবাবে বাগানীয়া ৰাইজে গণতন্ত্রৰ সুফল পোৱা নাই। বাগানত তিনিটা শ্রেণীৰ লোক আছে। মালিক, বাবু আৰু বনুৱা। বাগিছাৰ দৈনন্দিন কৰ্ম আঁচনিৰ ৰূপায়ণৰ বেলিকাহে ঐক্য দেখা যায়। তাৰ বাহিৰে কোনো সামাজিক সাংস্কৃতিক বিষয়ত এওঁলোকৰ কোনো যোগসূত্র দেখা নাযায়। বহু অসমীয়া লোকৰো নিজৰ নিজৰ চাহ বাগিছা আছে। সেই সমূহতো অসমীয়া ভাষা, সংস্কৃতিৰ দুৰ্গতি দেখা যায়। এওঁলোকে চান্দা ৰৰঙণি দিয়ে। কিন্তু নিজৰ বাগিচাত ভাষা, শিক্ষা সংস্কৃতিৰ ক্ষেত্রত অনিহা প্রকাশ কৰা দেখা যায়। গীত আৰু শিক্ষামূলক বক্তৃতাৰ যোগে ভাষা সংস্কৃতিৰ সম্প্রসাৰন কৰা উজু। ভ্রাম্যমান গায়কৰ দল নিয়োগৰ আঁচনি কৰিব পাৰিলে বহুলাংখে সুফল লাভ কৰিব পৰা যায় বুলি আমাৰ বিশ্বাস। জাতীয় সংস্কৃতিৰ প্রশিক্ষণৰ বাবে শিক্ষক প্রেৰণ কৰা বিধেয়।

বাকপটু, জাতীয় চেতনা সম্পন্ন আৰু সমাজ সংগঠক লোকৰ জড়িয়তে এই বিষয়ত আগবাঢ়িব পাৰিলে সুফল পোৱা যায়। ভ্রাম্যমান থিয়েটাৰ আৰু যাত্রাদলৰ সংগীত বিভাগৰ গায়ক বা অভিনেতা সকল বৈচিত্র পূৰ্ণ সমাজ গৰকালোক। তেওঁলোকক নিয়োগ কৰিলে কৃতকার্য হ'ব পাৰি। আমাৰ চাহ বাগানৰ বনুৱা ভাইসকলৰ মাজত সাহিত্য সংস্কৃতিৰ চেতনা জগাই তুলিব পাৰিলে অসমীয়া জাতি শক্তিশালী হ'ব। চাহে অসম বিখ্যাত কৰিছে। চাহ বনুৱাই অসমীয়াক বিখ্যাত কৰিব। বহুকেইজন চাহ বনুৱা সন্তানে অসমীয়া সাহিত্যলৈ সুন্দৰ ৰৰঙণি যোগাব পাৰিছে। এতিয়া আমি উৎসাহ যোগাব পাৰিলে বনুৱা ভাইসকল আমাৰ ভাষা সাহিত্য সংস্কৃতিৰ ঋণুৱা হ'ব। সেই উদ্দেশ্যৰে আমি চাহ বনুৱা ভাইসকলৰ মাজত সোমাব লাগিব। ঝুমুৰ নৃত্যই আজি অসমীয়াৰ প্রাণৰ নৃত্য হৈছে। অদুৰ ভৱিষ্যতে চাহ বনুৱা ভাইসকলো আমাৰ প্রানৰ ভাই হব।

এই আশা পূৰণ কৰিবলৈ আমি চাহ বাগান সমূহত শাখা সাহিত্য সভা গঠন কৰিব লাগিব। সাতশ চাহ বাগিচাত সাতশখন শাখা সাহিত্য সভা গঠন হলে অসম সাহিত্য সভাৰ কলেৱৰ বিৰাট হ'ব আৰু সভাই হিয়া দিয়া লোৱা মাজেৰে বিৰাট অসমীয়া

জাতি গঠন কৰি শিল্প, সাহিত্য, সংস্কৃতিৰ বিপুল কৃতকার্যতা লাভ কৰিব। সাতশ নহলেও এশখন শাখা সভা গঠন কৰা আচঁনি আমি লব লাগে আৰু এইক্ষেত্ৰত চাহ বাগান অৱস্থিত জিলা সাহিত্য সভাই ইয়াৰ দায়িত্ব লব লাগে। এইক্ষেত্ৰতে নবীন লেখক লেখিকা আৰু শিল্পী সমিতিয়ে সাহিত্য সভাক সহায় কৰাটো আমি কামনা কৰো। নবীনে প্ৰবীনে একেচাবে বঠা মাৰিলেহে নাওঁ আগুৱাব।

চাহে চৰে অসম, জনজাতি অজনজাতি নহয় যেন বিষম। চৰ অঞ্চলত অসমীয়া ভাষা তাহানি দিনৰে পৰা সঞ্চালনিকৈ চলি আছিল, আজিও আছে। চৰ নিবাসী অসমীয়া লোকসকলে অসমীয়া ভাষা গ্ৰহণ কৰি আমাৰ মাজৰ সৌহাৰ্দ্য ভাব টনকিয়াল কৰি ৰাখি আছে। বৰ্তমান পৰিস্থিতিত ৰাজনৈতিক কৱলত পৰি চৰ অঞ্চলত অসমীয়া ভাষাক এলাগী কৰাৰ নতুন ষড়যন্ত্ৰ চলিছে। ইংৰাজী ভাষাৰ ওপৰত অধিক গুৰুত্ব দিয়াত ইংৰাজী মাধ্যমৰ স্কুলৰ প্ৰতি যি মানসিকতা গঢ়ি উঠিছে তাৰ অন্তৰালত এক আন্তঃৰাষ্ট্ৰীয় কুটাঘাটমূলক কাৰ্যই ক্ৰিয়া কৰিছে। এনে পৰিস্থিতিত অসম সাহিত্য সভাই সৰ্বস্তৰৰ জনসাধাৰণৰ মাজত জনমত গঠন কৰি বিভিন্ন স্তৰৰ ধৰ্মীয় আৰু ভাষীক সংখ্যালঘু সকলৰ মাজত সৌহাৰ্দ্যৰ মনোভাব গঢ়ি তুলিবলৈ যত্নপৰ হ'ব লাগিব আৰু যিকোনো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় কুটাঘাটমূলক কাৰ্য ৰোধ কৰিবলৈ বাজ্য জুৰি প্ৰতিবাদ কৰিব লাগিব; অন্যথা অসমীয়া ভাষা সংস্কৃতি আৰু জাতীয় ঐতিহ্যৰ অস্তিত্ব সন্দিহান হৈ উঠিব। ইয়াক ৰোধ কৰাৰ বাবে অসম সাহিত্য সভাই তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। এই কাৰ্যব্যবস্থাৰ দৰ্শনীয় দিশ আলোচনা কৰাটো অতীব প্ৰয়োজনীয়। ধৰ্মীয় ভাষীক সমস্যাই যাতে নতুন সমস্যা সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে সজাগ থাকিব লাগিব। এইবিলাক বিষয়ৰ আলোচনাৰ বাবে চাহ বাগিচা জনজাতীয় অঞ্চল আৰু চৰ অঞ্চলত অসম সাহিত্য সভাৰ শাখা গঠন কৰিব লাগিব। চৰ অঞ্চলত কমেও এশখন নতুন শাখা সভা গঠন কৰিব পাৰিলেহে আলোচনা চক্ৰ, সাহিত্য সংস্কৃতিৰ গৱেষণা, চৰ চাপৰিৰ জীৱন পদ্ধতি, ভাষা সাহিত্য সংস্কৃতিৰ গৱেষণামূলক সভা অনুষ্ঠিত কৰিব পৰা যায়। এইক্ষেত্ৰত ৰাইজক সচেতন কৰি ৰাৰ বাবে শিক্ষিত মহলে চেষ্টা কৰাটো বিধেয়। চৰ অঞ্চলত ইতিমধ্যে জনসংখ্যা বৃদ্ধি হৈছেই আৰু দুই দশকত ইয়াৰ জনসংখ্যা দুগুণ হ'ব। তেতিয়া মাটিৰ নাটনি হ'ব। মানুহ বাঢ়ি যায় কিন্তু মাটি বাঢ়ি নাযায়। তেওঁলোক খেতিয়ক মানুহ। মাটিৰ প্ৰয়োজন অপৰিহাৰ্য। ইফালে কোনো লঘু উদ্যোগ নাই আৰু উদ্যোগ গঢ়ি উঠাৰো কোনো সম্ভাবনা নাই। শিক্ষিত নিবনুৱা চামে চাকৰি নাপাই হাবাথুৰি খাব লাগিব। নিবনুৱা সমস্যাই অচিৰেই চৰ অঞ্চলত গা কৰি উঠিব। এই অশিক্ষিত কৃষক আৰু শিক্ষিত নিবনুৱাই দেশৰ বাতাবৰণ বিষাক্ত কৰি তুলিব। সেইকাৰণেই চৰ অঞ্চলৰ আমাৰ কৃষক ভাই সকলে তেওঁলোকৰ উত্তৰ পুৰুষৰ ৰক্ষাৰ বাবেই বিদেশী প্ৰব্ৰজনকাৰীক প্ৰশ্ৰয় দিব নালাগিব। চৰ চাপৰিৰ লোকে চিৰকাল খেতি কৰি পেটৰ ভাত মুঠি উলিয়াব লাগিব। এওঁলোকৰ বংশধৰ সকলৰ মংগলৰ কাৰণেই বিদেশীক চিনাক্ত কৰিব লাগিব। এই কথা যেন চৰ চাপৰিৰ লোকে মনত ৰাখে। ৰাজনৈতিক মুনাফা খোৱা এক শ্ৰেণীৰ লোকৰ চলাহী কথাত ভোল গৈ নিজৰ ভৱিষ্যত বংশধৰ সকলৰ যাতে সৰ্বনাশ নকৰে তাকেহে আমি সকিয়াই থলো। তেনেদৰে চাহ বাগিচা আৰু খিলঞ্জীয়া অসমীয়া মানুহৰ মাজতো বিদেশী নাগৰিক আছে। বিশেষকৈ টাউন চহৰ অঞ্চলত বিভিন্ন ব্যৱসায়ত লিপ্ত বিদেশী সকলক চিনাক্ত কৰণত চৰকাৰক সহায় কৰিব লাগিব।

আজি এটা শব্দৰ এটা আখৰ মচি দিবলৈ আমি ৰাইজক অনুৰোধ জনাওঁ। চৰবাসী ৰাইজক বহু বছৰ আগতে ন অসমীয়া বুলি অভিহিত কৰিছিল। আজি ইমান বছৰে ন অসমীয়াৰ 'ন' আখৰটোৱে গোলমাল কৰি আছে। ন অসমীয়াৰ ন আখৰটো এই সাহিত্যসভাতে আপোনালোকে মচি দিয়ক। ইমান বছৰৰ পিছতো 'ন' আখৰটি পুৰণি হোৱা নাইনে? ন-বোৱাৰী পুৰণি ল'ৰা ছোৱালী হোৱাৰ পাছতো ন বোৱাৰী হৈ থাকেনে? গতিকে ৰাইজে সাহিত্য সভাৰ মঞ্চতে এই 'ন' আখৰটি মচি দিয়ক। ন অসমীয়া নহয়, অসমীয়া। আমি একে অসমীয়া।

ভৈয়ামৰ অসমীয়া, পৰ্বতৰ অসমীয়া, বাগানৰ অসমীয়া, চৰবাসী অসমীয়া— সকলো একে অসমীয়া।

অসমীয়া ভাষাৰ সম্পূৰ্ণ ইতিহাস এখন লিখি উলিয়াবলৈ পাঁচবছৰীয়া পৰিকল্পনা এটা যুগোতোৱা উচিত। তদুপৰি সাধাৰণ মানুহে বুজি পোৱাকৈ এখন জনপ্ৰিয় অভিধান ৰচনা কৰাত গুৰুত্ব দিয়া প্ৰয়োজন। এই অভিধানত জনজাতীয় ভাষাৰ কিছুমান শব্দ আৰু স্থানীয় শব্দ সন্নিবিষ্ট কৰিব লাগে।

এসোপামান কিতাপ ছপাই প্ৰকাশনৰ দীঘলীয়া তালিকা তৈয়াৰ কৰাৰ কোনো প্ৰয়োজন নাই। সেইবোৰ কিতাপ অন্য

প্রকাশন প্রতিষ্ঠানৰ হাতত দিলেও হ'ব। অসমৰ বিভিন্ন ক্ষেত্ৰ সামৰাকৈ পাঁচখন মান কিতাপ প্ৰকাশ কৰি বিতৰণ কৰিলে বেছি উপকাৰ হ'ব বুলি আমি ভাবো। অসম সাহিত্য সভাৰ পত্ৰিকা খন নিয়মিত প্ৰকাশ কৰাহে বাঞ্ছনীয়। পত্ৰিকাখনৰ প্ৰতি সংখ্যাত একোটা বিষয়ত গভীৰ আৰু প্ৰামান্য তথ্য প্ৰকাশ কৰি পত্ৰিকাৰ মানদণ্ড উচ্চ কৰিব পাৰিলে উত্তৰ পুৰুষে এইখন পত্ৰিকা প্ৰামাণ্য গ্ৰন্থৰ শাৰীত ধৰি অধ্যয়ন কৰিব। সাহিত্য সভাৰ পত্ৰিকাত ভাষা সাহিত্যৰ গধু�ৰ আলোচনা সম্বলিত প্ৰবন্ধইহে জনমানসত সাহিত্য সভাৰ ভাৱমূৰ্ত্তি উজ্জ্বল কৰিব। ৰাজ্যত বিবিধ ধৰণৰ আলোচনী ওলাব ধৰিছে গতিকে সাহিত্য সভাৰ আলোচনী খন এখন প্ৰামাণ্য দলিল যেন হ'ব লাগে। ইয়াৰ জৰিয়তে অসমৰ বিষয়ে নতুন তথ্য প্ৰকাশ কৰি জাতীয় চেতনা উদ্বেগ কৰিবলৈ সক্ষম হ'ব লাগে। গভীৰ চিন্তা আৰু মননশীলতাৰে প্ৰবন্ধ, নিবন্ধ ৰচনা কৰি নতুন প্ৰজন্মক সাহিত্য, দৰ্শন আৰু বিজ্ঞানৰ ফালে ধাৱিত কৰিব লাগে।

দেশাত্মবোধৰ জুইয়ে যাৰ অন্তৰ পুৰিছে সিহে দেশক চিনি পায়; দেশৰ মানুহক ভাল পায়, এই জুয়ে আমাৰ অন্তৰো পুৰিছে বাবেই এইবোৰ কথা ইমান সময়ে বলকিলো। সেৱাৰ থলি ৰাইজে আমাৰ দায় দোষ মাৰ্জনা কৰিব বুলি দণ্ডবতে প্ৰণিপাত কৰিলোঁ। অসম সাহিত্য সভাৰ তিনিগৰাকী বৰেণ্য সাহিত্যিকে অসমীয়া জাতিক জাতীয় প্ৰেৰণাৰে উদ্বুদ্ধ কৰি অসমীয়া জাতিৰ ঐক্য— সংহতি, আত্মবিশ্বাস আৰু আত্মনিয়ন্ত্ৰণৰ সংকল্পলৈ আগবাঢ়ি যাবলৈ মহান বাণী ঘোষণা কৰিছিল। এই তিনিগৰাকী নমস্য সাহিত্যিক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ পদাংক অনুসৰণ কৰি শত শত প্ৰণিপাত জনাই আমি গাই যাম—

বাজক ডবা, বাজক শংখ, বাজক মৃদং খোল,
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।
জয়তু ভাষা জননী
জয়তু অসম সাহিত্য সভা
জয়তু সৰ্থেবাৰী অধিৱেশন।

-- ❋ --

দ্বাষষ্টি তম অধিবেশন

বোকাখাত : ২৫ ফেব্রুৱাৰী ১৯৯৬ চন

ড° লক্ষ্মীনন্দন বৰা

অসম সাহিত্য সভাৰ বিদায়ী সভাপতি মহোদয়, এই মুকলি সভাৰ উদ্বোধক মহোদয়, আদৰণী সভাৰ সভাপতি প্ৰমুখে উদ্যোক্তাসকল, প্ৰতিনিধিবৰ্গ, সভ্যমণ্ডলী আৰু মোৰ সেৱাৰ থলী শ্ৰদ্ধাভাজন সাহিত্যপ্ৰেমী বাইজ,

ঐতিহ্যপূৰ্ণ অসম সাহিত্য সভাৰ দ্বাষষ্টিতম বোকাখাত অধিবেশনৰ সভাপতি নিৰ্বাচিত হোৱাত অসম সাহিত্য সভাক আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক অন্তৰেৰে ভাল পোৱা সকলো অসমবাসীক জয়জয়তে কৃতজ্ঞতা নিবেদন কৰি প্ৰণতি জনাইছোঁ। জ্ঞানী-গুণী প্ৰথিতযশা সাহিত্যিকসকলে সভাপতিৰ আসন অলংকৃত কৰি যোৱাৰ পিছত মোৰ দৰে অভাজন এজনক বাইজে ইয়াৰ বাবে বছাৰ কাৰণে স্বৰূপতে বিস্মিত হৈ ভাবিছোঁ— মইনো ইমানৰ যোগ্যনে? মোৰ অন্তৰ কৃতজ্ঞতাৰে উপচি পৰিছে। ব্যক্তি হিচাপে আপোন সীমাবদ্ধতাৰ বিশ্লেষণ কৰি দায়িত্বৰ গুৰুত্ব উপলব্ধি কৰিছোঁ। বাইজৰ মৰম আৰু আস্থাই মোক মুগ্ধ আৰু অভিভূত কৰিছে। যোৱা প্ৰায় আঢ়ৈ মাহৰ পৰা বাইজৰ মাজত মোৰ মিলি যোৱাৰ বিশেষ সুযাগ ঘটিছে। মোৰ ভাব হৈছে, মই যেন এতিয়াহে জনতাৰ শক্তিৰ পৰিচয় পাইছোঁ; প্ৰাণৰ স্পন্দন শুনিছোঁ। মই ধন্য হৈছোঁ। কাৰণ অসমৰ বাইজৰ অন্য এক নাম হ'ল অসম সাহিত্য সভা। যি অসমৰ মাটি-পানী-বায়ুৰে লালিত-পালিত হৈছে, অসমৰ হিত চিন্তা কৰিছে আৰু উন্নতিৰ অৰ্থে কাম কৰিছে, তেনে লোকেই অসমীয়া। তেওঁৰ আদিস্থান কি আছিল, সেয়া বিবেচিত হোৱা অযুগুত। তেওঁৰ আত্মীকৰণৰ প্ৰণালীটোহে আচল কথা। অসমত এই প্ৰণালীটো সক্ৰিয় হৈ আছে আৰু অসমীয়া মানসিকতাই সকলোকে আদৰেৰে গ্ৰহণ কৰাৰ আৰ্হি প্ৰদৰ্শন কৰিছে বাবেই সুদূৰ কান্যকুব্জৰ পৰা অহা যাৰভূঞাৰ বংশধৰ শ্ৰীমন্ত শংকৰদেৱক সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া হিচাপে আমি পাইছোঁ। সেইদৰে আমি কেৱল জ্যোতিপ্ৰসাদ আগৰৱালাকেই পোৱা নাই; অসমৰ অধিকাংশ অধিবাসীয়েই যে একালত অন্য ঠাইৰপৰা আহিছিল গতিকে লোকপিয়লৰ পৰিসংখ্যাই অসমীয়াত্বৰ বিস্তৃতি নিৰ্ণয় কৰিব নোৱাৰে বুলিয়েই মোৰ ধাৰণা। অনস্বীকাৰ্য যে এনে সংজ্ঞাই সামৰা অসমীয়াসকলে অসম সাহিত্য সভাক জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে দেহে-কেহে ভাল পায়। তাৰে সাক্ষী হ'ল আজিৰ এই মুকলি সভাৰ জনসমুদ্ৰ। অজস্ৰ জনতাৰ অসম সাহিত্য সভাৰ প্ৰতি থকা হিতাকাংক্ষা আৰু মৰম-চেনেহেই হ'ল ইয়াৰ শক্তি। এই আপুৰুগীয়া শক্তিক যদি জাতি-গঠনৰ প্ৰক্ৰিয়াত সুশৃঙ্খলিতভাবে পৰিচালিত কৰিব পৰা যায়, তেন্তে অসমে অৱক্ষয় আৰু সংকটক প্ৰত্যাহ্বান জনাব পাৰিব বুলি মোৰ ধাৰণা।

অসম সাহিত্য সভা নিঃসন্দেহে অসমৰ সৰ্ববৃহৎ জাতীয় সংগঠন। সেয়েহে ইয়াৰ সভাপতিৰ পদটো আটাইতকৈ সম্মানীয় পদ। সভাপতিৰ দায়িত্বৰ ফালৰ পৰা ই যিমান গুৰুত্বপূৰ্ণ, অসমৰ অন্য কোনো সংগঠনৰ পদ সিমান গুৰুত্বপূৰ্ণ নহয়। ১৯১৭ চনৰ পৰা ধাৰাবাহিকতা কঢ়িয়াই অনা এই সংগঠনটোৱে অসমীয়াৰ বৈচিত্ৰ প্ৰতিফলিত কৰাৰ লগতে অসমৰ সমাজ, অৰ্থনীতি আৰু সংস্কৃতিৰ মুখ্য দিশসমূহ প্ৰতিফলিত কৰি আহিছে। এনে এটা মহান সংগঠনৰ দায়িত্ব বহন কৰাৰ অৰ্থ হ'ল অসমীয়া ভাষা-সাহিত্য, অৰ্থনীতি আৰু সংস্কৃতিক লৈ অসমৰ বৃহৎ সমাজখনৰ মূল ধাৰাটোক মহীয়ান কৰিবলৈ যত্ন কৰা। সুদূৰ অতীতৰ পৰা অসমীয়া সমাজখনৰ বিকাশ সাধনত সহায় কৰি অহা উপাদানসমূহৰ গুৰুত্ব আমি এতিয়াও উপলব্ধি কৰা নাই। আটাইতকৈ মন কৰিব লগীয়া, অষ্ট্ৰিক আদি বিশ্বৰ কেইবাটাও জনগোষ্ঠীৰ লোকৰ সংমিশ্ৰণত অসমীয়া ভাষা-সাহিত্য, সংস্কৃতি আৰু অৰ্থনৈতিক প্ৰক্ৰিয়া গঢ় লৈ উঠিছে। আদিম কালৰ পৰাই বিভিন্ন জনগোষ্ঠীৰ লোকে অসমত বসবাস কৰি আহিছে। পণ্ডিতসকলে উদ্ভাৱ

কৰা তথ্য অনুসৰি দ্ৰাবিড় জনগোষ্ঠীৰ লোকসকলে অসমত কৃষি কাৰ্যৰ সম্প্ৰসাৰণত মুখ্য ভূমিকা লৈছিল। অসমীয়া ভাষাৰ মূল ভেটিটোও সেইসকল লোকেই প্ৰতিষ্ঠা কৰিছিল। উত্তৰ-পূব দিশৰ পৰা মংগোলীয়সকল অসমলৈ আহি বিভিন্ন ঠাইত বসবাস কৰিছিল। এই তিব্বতীয় মংগোলীয় লোকসকলৰ মূল ভাগটো পোনতে দ্ৰাবিড় আৰু পিছত ককেছীয় জনগোষ্ঠীৰ লোকসকলৰ সৈতে বিয়া-বাৰু আৰু অৰ্থনৈতিক লেনদেনৰ যোগেদি সংমিশ্ৰিত হৈ পৰিছিল। ককেছীয় জনগোষ্ঠীৰ লোকসকলৰ পৰাই লিখিত ভাষা-সাহিত্য আহে আৰু ৰজাঘৰৰ পৃষ্ঠপোষকতা লাভ কৰে। ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে ব্যৱহৃত হোৱা বাবে অন্যান্য জনগোষ্ঠীৰ ভাষাৰ বহু অংশকে ককেছীয় ভাষা-সাহিত্যৰ লগত মিলাই ল'ৰ লগীয়া হৈছিল। অসমৰ স্থায়ী কৃষিত কলিতা, কৈৱৰ্ত, কেওট, কোঁচ, চুতীয়া, ৰবাহী, হাৰি, মেচ, কছাৰী, সোণোৱাল, বড়ো, ডিমাচা, আহোম, মৰাণ, মটক, চিনটাং, কাৰ্বি প্ৰমুখ্যে ভিন ভিন জনগোষ্ঠীয়ে ভিন ভিন সময়ত অংশ গ্ৰহণকৰিছিল। এই জনগোষ্ঠীসমূহৰ কোনো কোনো অংশ ভৌগোলিকভাবে বিচ্ছিন্ন হৈ বসবাস কৰি থকা বাবে নিজৰ মাজত ব্যৱহাৰ কৰা ভাষাৰ প্ৰচলন অব্যাহত থাকিল। প্ৰয়াত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই কোৱাৰ দৰে বিচ্ছিন্ন হৈ থকা এই লোকসকলকো অসমীয়া সমাজখনে সামৰি ল'ৰ লাগিব। অসম তথা উত্তৰ-পূব ভাৰতৰ জনজাতীয় আৰু পাৰ্বত্য গোষ্ঠীভুক্ত লোকসকলে অতীজৰে পৰা অসমীয়া ভাষাৰ যোগেদি বেহা-বেপাৰকৰি আহিছে আৰু তেওঁলোকৰ লগত অসমীয়া-ভাষী লোকৰ সাংস্কৃতিক বিনিময় ঘটিছে। সেয়েহে আমি নগাৰ পৰা বৰকাঁহ, খামতিৰ পৰা দবা, ভোটৰ পৰা ভোৰতাল আদি পাইছোঁ। আমাৰ খোলৰ বোলত জনজাতিসকলৰ ঢোলৰ ছেও চিনিব নোৱাৰাকৈ মিলি গৈছে। সত্ৰীয়া নাচতো তেওঁলোকৰ নাচোনৰ লয়লাস সোমাই পৰিছে। জনজাতীয় লোকসংগীতৰ সুৰো মাজে মাজে বৰগীতৰ ৰাগৰ আধাৰ হৈ পৰিছে। এনেকৈয়ে শ্ৰীমন্ত শংকৰদেৱে কৃষ্টি-সংস্কৃতিৰ যোগেদি সকলো জনগোষ্ঠীৰ মাজত সংহতি স্থাপনৰ দৃষ্টান্ত দেখুৱাই থৈ গৈছে।

উত্তৰ-পূব ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ বাৰেৰহণীয়া সংস্কৃতিৰ মাজত এক সুদূৰপ্ৰসাৰী ঐক্য নিহিত হৈ আছে। বৈচিত্ৰ্যৰ মাজত এই ঐক্যৰ উপলব্ধিয়েই আছিল শ্ৰীমন্ত শংকৰৰ লোকসমাজত অধ্যাত্ম জ্ঞান প্ৰচাৰ আৰু প্ৰসাৰৰ মূল আহিলা। সেয়েহে শংকৰ-মাধৱৰ দিনত নগাৰ নৰোত্তম, কছাৰীৰ ৰাম, গাৰোৰ গোবিন্দ, মিৰিৰ বলাই আৰু ভোটৰ দামোদৰ প্ৰভৃতি আতৈসকলে একশৰণীয়া নামধৰ্মৰ জেউতি চৰাইছিল।

আজি ১৯৯৬ চনৰ ২৫ ফেব্ৰুৱাৰী। এয়া বোকাখাত। ইয়াত দেখা পাইছোঁ সমন্বয়ৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। ইয়াৰ চৌদিশে সজীৱ সেউজীয়া সমাৰোহ। বনবিৰিখৰ। বিস্তীৰ্ণ চাহ-বাগিচাৰ। শুৱনি পথাৰৰ। পশ্চিমে অদূৰত বিশ্ববিখ্যাত কাজিৰঙা অভয়াৰণ্য—য'ত বিচাৰি পোৱা যায় পৰিস্থিতি-তন্ত্ৰৰ মধুৰ ভাৰসাম্য. জীৱ-জন্তুৰ অপৰূপ বৈচিত্ৰ আৰু প্ৰাণীজগত প্ৰকৃতিৰ লগত মিলি-জুলি থকাৰ মনোৰম আৰ্হি। এনে অৰণ্য জগততে বিৰল। কাৰণ ই শিল্পায়নৰ প্ৰকৃতিবিনাশী পৰিণামৰ এক পৰাণ জুৰোৱা ব্যতিক্ৰম। সেইবাবেই হয়তো ই কাজিৰঙাৰ ইমান আন্তৰ্জাতিক খ্যাতি আৰু ইয়াত প্ৰতিটো ঋতুতে দেশী-বিদেশী লোকৰ ইমান সমাগম! এনে এখন কাজিৰঙাৰ কাষৰীয়া ঠাই বোকাখাতৰ ৰাইজৰ মনবোৰ নিশ্চয় প্ৰকৃতিৰ অকৃপণ দানে ঐশ্বৰ্যশালী কৰিছে। সম্প্ৰতি এই চাৰি দিন গণদেৱতাৰ পদ-পৰশত বোকাখাত ধন্য হৈছে। এই আপাহতে এনে এখন মহাসভাৰ আয়োজন কৰি বোকাখাতক ভাষা-সাহিত্যৰ পূণ্য ধামত পৰিণত কৰাৰ কাৰণে বোকাখাতবাসীক আন্তৰিক ধন্যবাদ জনালোঁ।

এতিয়া পূৰ্বৰ প্ৰসঙ্গলৈ আহোঁ। বোকাখাতত জাতি-উপজাতিৰ সমন্বয়ৰ আৰ্হি সচাঁকৈয়ে অনুপম। আন ঠাইৰ দৰে ইয়াৰো মিচিং জনজাতি অসমৰ ভাষা-সংস্কৃতিৰ ঘাই সুঁতিৰ লগত লীন গৈছে। ইয়াত বসবাস কৰি বেহা-বেপাৰ কৰা বিভিন্ন ভাষাভাষী লোকসকলে অসমীয়া ভাষা বুজে, লিখে আৰু কয়। তেওঁলোকৰ সৰহ ভাগ ল'ৰা-ছোৱালীয়েই অসমীয়া মাধ্যমতে পঢ়া-শুনা কৰে। তেওঁলোক বহু কাল অসমত থাকি অসমৰ সুখ-দুখৰ ভাগী হৈছে।

অন্য ৰাজ্যৰ পৰা একালত অহা বনুৱাসকলৰ শ্ৰমে বোকাখাতৰ চৌপাশে থকা চাহ-বাগিচাবিলাক সমৃদ্ধ কৰিছে। চাহ গছৰ দৰে তেওঁলোকো অসমৰ নিগাজি সম্পদ। তেঁলোকে নিজ নিজ ঠাইৰ ভাষা এতিয়া পাহৰি পেলাইছে আৰু অসমীয়া ভাষাক সাদৰেৰে গ্ৰহণ কৰিছে। তেওঁলোকৰ গীত-মাত, নাচ আৰু মাদলৰ ধ্বনিয়ে বোকাখাতবাসীক মুহিছে আৰু এইবোৰ বিহুনাম, হুঁচৰি আৰু বিহুগীতৰ দৰে অসমীয়া সংস্কৃতিৰ অংগ হৈ পৰিছে। বোকাখাতত চাহ-জনজাতিৰ লগত অন্যান্য লোকৰ আত্মিক সংযোগ ঘটাৰ ফলত অসম আৰু অসমীয়াৰ স্থিতি সবল হৈছে। এই প্ৰসঙ্গতে মই বোকাখাত অঞ্চলৰ চাহ জনজাতিৰ লোকসকলক ওলগ জনাইছোঁ। বাঞ্ছা কৰিছোঁ, তেওঁলোকৰ মাজৰ পৰাও সনন্ত তাঁতী আৰু সমীৰ তাঁতীৰ দৰে সুকবি ওলাওক.

শিৱচৰণ দাসৰ দৰে প্ৰতিভাশালী সুৰকাৰ আৰু গায়কৰ সৃষ্টি হওক।

এইখিনিতে এজন সাহিত্যপ্ৰেমীৰ দৃষ্টিৰে অতীতলৈ উভতি চোৱাটো উচিত বিবেচনা কৰিছোঁ। বুৰঞ্জীযে ঢুকি পোৱা অতীতৰ পৰাই অসমীয়া ভাষা-সাহিত্যই ভালেমান বাধা-বিঘিনি অতিক্ৰমি আজিৰ অৱস্থাত উপনিত হৈছেহি। লোকগীতি আৰু লোককথাৰে সমৃদ্ধ অসমত শংকৰ-মাধৱে বিপুল সাহিত্য-সম্ভাৰ এৰি থৈ যোৱাৰ পূৰ্বেও 'পূৰ্বকবি অগ্ৰমাদী' ৰূপে খ্যাত মাধৱ কন্দলি, হৰিবৰ বিপ্ৰ, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী আৰু ৰুদ্ৰ কন্দলিয়ে সাৱলীল ছন্দেৰে প্ৰাচীন কাব্য সাহিত্য সমৃদ্ধ কৰিছিল। শংকৰদেৱৰ সাহিত্যিক অৱদান বিপুল। অসমৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক জীৱনত তেওঁৰ ৰচনাৰ প্ৰভাৱ অপৰিসীম। ছন্দ-প্ৰকৰণ আৰু ভাষাৰ ওপৰত তেওঁৰ দখল আছিল অসামান্য। অনুপম উপমা, শব্দ আৰু ছন্দৰ লালিত্যৰে মনত দোলা দি যাব পৰা শ্ৰীমন্ত শংকৰে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে প্ৰয়োজনীয় সংস্কৃত শাস্ত্ৰসমূহ ৰচনাৰ উপজীব্য হিচাপে লৈছিল যদিও আপোন মনোভংগী আৰু অসমৰ মাটি-পানীৰে সাহিত্যৰ সৌধ নিৰ্মাণ কৰিছিল। মাধৱদেৱৰ নিৰ্মিত সাহিত্য-সৌধও তদনুৰূপ। অকল এয়ে নহয়; দুয়োজনা মনীষীয়ে নতুন নতুন শব্দ প্ৰয়োগ কৰি অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি বহুগুণে বঢ়াইছিল।

নৱন্যাসৰ সৃষ্টিকাৰী এই ধৰ্মগুৰু দুজনাৰ প্ৰভাৱৰ ফলতেই ষোড়শ শতিকাৰ সামৰণি আৰু সপ্তদশ শতিকাৰ আদি ভাগত অসমৰ নৱ-বৈষ্ণৱ সাহিত্যই বিষয়বস্তু আৰু কলাৰূপৰ ফালৰপৰা পূৰ্ণতা লাভ কৰিছিল। 'ভট্টদেৱ' নামে অধিক পৰিচিত কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যই মধুৰ কাব্যসুলভ গদ্যত 'কথাগীতা' আৰু 'কথা-ভাগবত' ৰচিছিল। এয়ে আছিল ভাৰতবৰ্ষত প্ৰথম গদ্য-সাহিত্য। সত্ৰীয়া সমাজৰ অৱদান আৰু পৃষ্ঠপোষকতাৰ জৰিয়তে নৱ-বৈষ্ণৱ সাহিত্যৰ প্ৰচুৰ বিস্তাৰ ঘটিছিল। আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত আন এবিধ এবিধ সাহিত্যই গা কৰি উঠিছিল। সেয়ে হ'ল বুৰঞ্জী সাহিত্য। এনে দৃষ্টান্ত ভাৰতত বিৰল। মুঠতে ব্ৰিটিছে অসম অধিকাৰ কৰাৰ সময়ত অসমীয়া ভাষা-সাহিত্য যথেষ্ট উন্নত আছিল। আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়ৰ মতে "অসমীয়া সাহিত্যই ষোল শতিকাতে যি উন্নত অৱস্থা পাইছিল, বঙলা সাহিত্যই তেনে অৱস্থা ঈশ্বৰচন্দ্ৰ আৰু বংকিমচন্দ্ৰৰ দিনতহে পাইছিল।"

অসমীয়া ভাষাৰ শিক্ষা আৰু প্ৰশাসনৰ মাধ্যম হ'ৱৰ যোগ্যতা থকা সত্ত্বেও ১৮৩৬ চনত বঙলা ভাষাহে চলিল। অসমীয়া ভাষাক ৰৱ অন্যায় কৰা হৈছিল। ই আছিল অসমীয়া ভাষা-সাহিত্যৰ দাৰুণ বিপৰ্যয়। ইয়াৰ বিৰুদ্ধে থিয় হৈছিল আনন্দৰাম ঢেকীয়াল ফুকন আৰু খ্ৰীষ্টিয়ান লেখকসকল। ড'ৱ নেথান ব্ৰাউন, ড'ৱ মাইলছ ব্ৰন্ছন্ প্ৰভৃতি। ১৮৫৫ চনত আনন্দৰাম ঢেকীয়াল ফুকনে ছদ্মনামত লিখা এখন পুস্তিকাৰ যোগেদি অসমীয়া ভাষাৰ চহকী অৱস্থা দাঙি ধৰিছিল। পুস্তিকাখনে তেতিয়াৰ ভাষা আন্দোলনটোক ডাঙৰ শক্তি দিছিল। ১৮৭৩ চনত প্ৰায় চাৰি দশকৰ পিছত অসমীয়া ভাষাই স্কুল-কাছাৰীত নিজৰ ঠাই পাইছিল।

সেই সময়ৰ অসমীয়া লেখসকলৰ ভাষাপ্ৰীতি দেখি অভিভূত নহৈ নোৱাৰি। একোজন সৃষ্টিশীল লেখকে পাঠ্যপুথিও ৰচনা কৰিব লগীয়া হৈছিল। আনকি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱায়ো পাঠ্যপুথিত হাত দিব লগীয়া হৈছিল। বেছি পাঠ্যপুথি লিখিছিল "হেমৰ কোষৰে ওখ দেউল বন্ধা" হেমচন্দ্ৰ বৰুৱাই। 'অসমীয়া ল'ৰাৰ ব্যাকৰণ', 'অসমীয়া ব্যাকৰণ' 'পঢ়াশলীয়া অভিধান' আৰু তেওঁৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তি 'হেমকোষ'ৰ যোগেদি তেওঁ অশেষ পৰিশ্ৰমেৰে অসমীয়া ভাষাক সুপ্ৰতিষ্ঠিত কৰি থৈ গ'ল। তেৱেই বোধ কৰোঁ প্ৰথম অসমীয়া লেখক, যি ভ্ৰষ্টাচাৰ, ব্যভিচাৰ, অসমীয়াৰ সোৱোপা স্বভাৱ আৰু সমাজৰ নানা দুৰ্বাসনাৰ বিৰুদ্ধে কলম তুলি লৈছিল। তেওঁৰ "ব্যঙ্গই তীব্ৰভাবে বিষাল ৰূপ ধাৰণ কৰিছে আৰু সমাজৰ ৰোগাৰ্ত অংগত নিৰ্মমভাবে দংশন কৰিছে" (ড° মহেশ্বৰ নেওগ)। বিপত্নীক হেমচন্দ্ৰ বৰুৱাই বিধবা-বিবাহ নিষিদ্ধ কৰা হিন্দু সমাজৰ কপটালিৰ বিৰুদ্ধে যুঁজ দি দুনাই বিয়া নকৰালে। তেওঁৰ সাধনাপূৰ্ণ জীৱন ইমানেই হৃদয়গ্ৰাহী যে তাত মই এখনি উপন্যাসৰ সুবাস পাইছোঁ। তিলোত্তমা মিশ্ৰৰ গুণাভিৰাম বৰুৱাৰ জীৱনভিত্তিক সুলিখিত উপন্যাস 'স্বৰ্ণলতাৰ'ৰ দৰে হেমচন্দ্ৰ বৰুৱা (১৮৩৫ - ১৮৯৭)ৰ জীৱনক লৈ প্ৰণীত এখন উপন্যাসে আজিৰ সংকটাচ্ছন্ন অসমীয়াক উদ্‌গনি দিব পাৰিব বুলি ধাৰণা হয়।

ইয়াৰ পিছতেই অসমীয়া সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত দুটি ইতিহাসপ্ৰসিদ্ধ ঘটনা ঘটিল ; ১৮৮৮ চনত কলিকতাবাসী অসমীয়া ছাত্ৰৰ দ্বাৰা অসমীয়া ভাষা উন্নতি সাধিনী সভা স্থাপন আৰু ১৮৮৯ চনত 'জোনাকী'ৰ প্ৰতিষ্ঠা। তেতিয়াৰ পৰাই আধুনিক অসমীয়া সাহিত্যৰ আৰম্ভণি? উনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আদি ভাগৰ ভিতৰৰ এই সময়ছোৱাক 'জোনাকী'

যুগ বুলিও ক'ব পাৰি, বেজবৰুৱা যুগ বুলিও কব পাৰি। এই যুগতেই হেমচন্দ্ৰ বৰুৱাৰ যুগত সুপ্ৰতিষ্ঠিত কৰা ভাষা-সাহিত্যৰ ভেটিৰ ওপৰত নিৰ্মাণ কাৰ্য চলে। সাহিত্যৰ এই যুগটোৰ বৈশিষ্ট্য হ'ল— ইংলেণ্ডৰ ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ ৰোমান্তিক সাহিত্যৰ প্ৰভাৱ আৰু সাহিত্যৰ নানা অংগৰ বিকাশ। 'আবাহন', 'বাঁহী', 'জয়ন্তী' আৰু 'সুৰভি' আদি আলোচনীৰ যোগেদি অসমীয়া সাহিত্যৰ ৰোমান্তিক স্তৰে পূৰ্ণতা লাভ কৰে। অথচ এয়ে আছিল শেষ ৰোমাণ্টিক স্তৰ।

আসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণৰ এনে এটা পৰম্পৰা নাই যে অসমীয়া সাহিত্যৰ সম্যক আলোচনা এটি আগবঢ়াব লাগিব। তথাপি পূৰ্বসুৰীসকলৰ দুই-এগৰাকীয়ে থুলমুলকৈ অসমীয়া সাহিত্য সম্পৰ্কে আপোন বক্তব্য দাঙি ধৰিছে। ইয়াৰ এটা মূল্যাংকন দাঙি ধৰাটো উদ্দেশ্য নহ'লেও আৱেগৰ বশবতী হৈ তাকে অলপ-অচৰপ কৈছোঁ। মোৰ সংক্ষিপ্ত মূল্যায়নত ত্ৰুটি-বিচ্যুতি হৈছে যদি সাহিত্যামোদী ৰাইজে নিজগুণে মৰিষণ কৰিব বুলি আশা কৰিলোঁ।

প্ৰাক্‌শংকৰ যুগৰ সাহিত্যৰ পৰা নৱ-বৈষ্ণৱ সাহিত্যলৈকে অসমীয়া পুৰণি সাহিত্যই বিষয়বস্তুৰ বৈচিত্ৰ্য সঁচাকৈয়ে চমকপ্ৰদ। এনে বৈচিত্ৰ্য বৰ্তমান সাহিত্যত নাই যেন লাগে। পুৰণি সাহিত্যক বাদ দিলে অসমীয়া সাহিত্যৰ জঁকাটোহে থাকে। অথচ সম্প্ৰতি পঢ়ুৱৈৰ সংখ্যা বাঢ়িছে, গ্ৰন্থ-বিপণনৰ বাবে প্ৰচুৰ সুবিধা হৈছে আৰু মুদ্ৰণ প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব উন্নতি হৈছে। অৱশ্যে অনস্বীকাৰ্য যে দ্বিতীয় মহাসমৰৰ পিছৰ পৰা অসমীয়া সাহিত্যই ধাৰা সলনি কৰি আধুনিক জীৱনৰ বেছি ওচৰ চাপিছে আৰু লেখকসকলে ন ন দৃষ্টিভঙ্গীৰে যুগ-সন্ধিক্ষণৰ কলা ৰূপ দিয়াৰ প্ৰশংসনীয় প্ৰচেষ্টা চলাইছে। সুখৰ কথা যে চুটি গল্প আৰু কবিতাই সংখ্যা আৰু গুণৰ ফালৰ পৰা স্বৰূপতে সাৰ্থক সৃষ্টিৰ দাবী কৰিব পাৰে। উপন্যাসৰ ক্ষেত্ৰত এনে উক্তি দিবলৈ সংকোচ হয়। সাহিত্যত প্ৰত্যেক যুগেই ক্ৰান্তিৰ যুগ। কিন্তু আমাৰ ঔপন্যাসিকে যুগৰ সন্ধিক্ষণক আংশিকভাবেহে ধৰি ৰাখিব পাৰিছে। অসমৰ স্বাধীনতা সংগ্ৰাম, অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম, ভ্ৰষ্টাচাৰ, নৈতিক অধঃপতন, উগ্ৰবাদীৰ সমস্যা, অসুস্থ ৰাজনীতি আৰু বিদেশী নাগৰিকৰ সবল অবৈধ স্থিতিৰ বিষয়ে একোখনকৈ মনোমত উপন্যাস ওলোৱা নাই। অথচ বিশ্ব-সাহিত্যত যুগ-সন্ধিক্ষণৰ এনেবোৰ সমলে সদায় উপন্যাস-সাহিত্য চহকী কৰি আহিছে। তথাপি আধুনিক অসমীয়া উপন্যাসত প্ৰকট হৈছে একোটা ৰাজনৈতিক মতবাদৰ কাৰ্যকৰিতা কথা, পুৰণিৰ লগত নতুনৰ দ্বন্দ্ব, ক্ষয়িষ্ণু আভিজাত্যৰ বতৰা, মধ্যবিত্তৰ আশা নিৰাশা, সামজিক ৰূপান্তৰৰ আকাংক্ষা আৰু প্ৰশাসনিক দুৰ্নীতি। সাম্প্ৰতিক কোনো কোনো অসমীয়া ঔপন্যাসিকে অজ্ঞাতপূৰ্ব অঞ্চলৰ পটভূমি বাছি লৈ সাহিত্যৰ বৈচিত্ৰ্য বঢ়াবলৈ প্ৰয়াস কৰিছে। তদুপৰি জীৱনীমুলক উপন্যাস-প্ৰণয়নৰ দিশত কেইগৰাকীমান শক্তিশালী ঔপন্যাসিকে সফল প্ৰচেষ্টা চলাইছে। এয়া সঁচাকৈয়ে শুভ লক্ষণ।

আধুনিক অসমীয়া কবিতাত ঐতিহাসিক আৰু নান্দনিক তাৎপৰ্য সততে বিচাৰি পোৱা যায়। ত্ৰিছৰ দশকৰ মাজ ভাগৰ পৰা আজিলৈকে আধুনিক অসমীয়া কবিতাত উত্তৰোত্তৰ বিকাশৰ চিন পৰিস্ফুট হৈছে। সম্প্ৰতি অসমত কবি আৰু কবিতা-অনুৰাগীৰ সক্ৰিয় সহযোগ ঘটিছে। আন হাতেদি শিল্পোন্নত পছিমীয়া দেশত কবিতাৰ কদৰ ক্ৰমাৎ কমিবলৈহে ধৰিছে। ইয়াৰ কাৰণ হ'ব পাৰে, কৃত্ৰিম অভাব সৃষ্টি কৰি ভোক্তাক তুষ্ট কৰিব খোজা শিল্প-নীতি দৈনন্দিন জীৱনত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত নিৰ্ভৰশীলতা আৰু নিবিড় শিল্পায়ন। এই ফালৰ পৰা চাবলৈ গ'লে অসমত কবিতাৰ জগতখন অনুৰ্বৰ নহয়। অসমীয়া ভালেমান কবিতাই বিশ্বৰ শ্ৰেষ্ঠ কবিতাৰ লগত ফেৰ মাৰিব পাৰে।

অসমীয়া চুটি গল্পই পঞ্চাছৰ দশকত মাহেকীয়া আলোচনী 'ৰামধেনু'ৰ যোগেদি পৰিপক্কতা লাভ কৰে। ৰামধেনু যুগৰ গল্পকাৰসকলে অসমীয়া চুটি গল্পক বাস্তৱমুখী কৰিলে। তেওঁলোকৰ অভিজ্ঞতাও আপেক্ষিকভাবে বৈচিত্ৰ্যপূৰ্ণ আছিল। কিন্তু তেতিয়া ৰাজ্যখনত ঔদ্যোগীকৰণ মন্থৰ হোৱা বাবে জীৱনৰ গতি মন্থৰ আছিল। সেয়েহে ৰামধেনু যুগৰ ভালেমান সুনিপুণ গল্পকাৰৰ চুটি গল্পত গাঁৱলীয়া সমাজৰ ছবিহে শক্তিশালী ৰূপে প্ৰতিফলিত হৈছিল। সেই যুগৰ কিছুমান চুটি গল্পত মাজে মাজে ফ্ৰয়েডীয় তত্ত্ব আৰু মাৰ্ক্সবাদেও ভূমুকি মাৰিছিল। কিন্তু মধ্যবিত্ত শ্ৰেণী এতিয়াৰ দৰে বিপৰ্যস্ত নোহোৱা বাবে লেখকসকলে মাৰ্ক্সবাদতকৈ ফ্ৰয়েডীয় মানসিক বিশ্লেষণৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰিছিল।

পিছৰ গল্পকাৰসকলৰ মনোভঙ্গী আৰু বিষয়বস্তু ৰামধেনু যুগৰ গল্পকাৰসকলতকৈ সুকীয়া হ'ল। কাৰণ ৰাজ্যখনত দাৰিদ্ৰ্য আৰু শোষণৰ ৰূপ ক্ৰমাৎ ভয়াবহ হৈ আহিবলৈ ধৰিলে। উপযুক্ত ঔদ্যোগীকৰণৰ অভাৱত উত্তৰ-পূৰ ভাৰত সংকটাপন্ন আৰু দুদশাগ্ৰস্ত হ'ল। আন হাতেদি উচ্চ মধ্যবিত্ত শ্ৰেণীটোলৈ অৰ্থোপাৰ্জনৰ যথেষ্ট সা-সুবিধা আহিল। এক শ্ৰেণীৰ লোক দুৰ্নীতি কৰিও সমৃদ্ধিশালী হ'ল। ইয়াৰ ফলত যৌন জীৱন হ'ল ভ্ৰষ্টাচাৰী আৰু বিকাৰগ্ৰস্ত। চুটি গল্পত এইবোৰৰ প্ৰতিফলন ঘটিল আৰু

ইয়াৰ পৰিসৰ বৃদ্ধি হ'ল।

জীৱনৰ জটিলতা প্ৰকাশ কৰিবৰ বাবে সম্প্ৰতিৰ অসমীয়া চুটি গল্পই নতুন ধৰণৰ বাক্যবিন্যাস আৰু ন ন খণ্ডবাক্য উদ্ভাৱন কৰা নাই যদিও গল্পকাৰসকলে নতুন নতুন আংগিকৰ উদ্ভাৱন কৰিছে। ইয়াৰ প্ৰমাণ পোৱা যায় একাংশ শক্তিশালী লেখকৰ গল্পত। অৱশ্যে জীৱনৰ জটিলতা ব্যক্ত কৰিবৰ বাবে এক অননুকৰণীয় প্ৰকাশভংগী আৰু আংগিক অৱলম্বন কৰাৰ ক্ষেত্ৰত ৰামধেনু যুগৰ সৌৰভ কুমাৰ চলিহাহে আগৰণুৱা আছিল।

তৰুণসকলৰ চিন্তাধাৰাই অসমীয়া গল্প-সাহিত্যত নতুন এক মাত্ৰা দিছে যদিও তেওঁলোকৰ খুব কমেইহে সামগ্ৰিক দৃষ্টিভংগী-সংপৃক্ত উপন্যাস লিখিব পাৰিছে। বাতৰি কাকত বা আলোচনীৰ বিশেষ সংখ্যাসমূহত প্ৰকাশিত প্ৰবীণ অথবা নবীন লেখকসকলৰ উপন্যাসসমূহত সাধাৰণতে উপন্যাসৰ লক্ষণ বিচাৰি পোৱা নাযায়; এইবোৰক সাম্প্ৰসাৰিত গল্প যেন লাগে। তথাপি নিঃসন্দেহে ক'ব পাৰি যে নতুন লেখক-লেখিকসকলৰ ভালেমানেই যুগধৰ্ম অনুসৰি ঐতিহ্যগত আৰ্হি বিসৰ্জন দি আধুনিকতা আৰু আনকি উত্তৰ-আধুনিকতালৈ উধাই আহি অসমীয়া সাহিত্যৰ গতিশীলতাত ইন্ধন যোগাইছে। আধুনিক সাহিত্য স্থবিৰ হৈ আছে আৰু বিশ্বজনীন মহত্ত্ব লাভ কৰিব পৰা নাই বুলি সঘনে উচ্চাৰিত মন্তব্যটোত মোৰ বিশ্বাস নাই। কাৰণ উত্তৰকালহে সৃষ্টিৰ বিশ্বজনীনতা নিৰ্ণয় কৰে। তদুপৰি আমাৰ সমালোচনা-সাহিত্যই আমাৰ ন-লেখক-লেখিকাসকলৰ সাহিত্যিক অৱদানৰ ছেগা-চেৰোকা মূল্যাংকনহে কৰিছে। অসমীয়া সমালোচনা-সাহিত্যৰ আশানুৰূপ বিকাশৰ বাবে আমি হয়তো আৰু এটা দশক বাট চাব লাগিব।

যোৱা চাৰিটা দশকত অসমীয়া নাট্যকাৰসকল পছিমীয়া নাট্যকাৰসকলৰ দ্বাৰাহে অধিক অনুপ্ৰাণিত হৈছে। অসমীয়া নাটকত বিবিধ পৰীক্ষা-নিৰীক্ষাও চলিছে। আধুনিক নাটকৰ আংগিকৰ লগত লোকনাট্যৰ সমল যোগ দি ৰচনা আৰু মঞ্চস্থ কৰা নাটকে ৰংগমঞ্চত যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছে। নাটকত অংকীয়া নাট আৰু ওজাপালিৰ আংগিকো প্ৰয়োগ কৰা হৈছে। তদু পৰি এতিয়ালৈকে কেইবাহজাৰো অনাতাঁৰ নাটক ৰচিত হৈছে। এনেবোৰ নাটকেও অসমীয়া নাট্য-সাহিত্যলৈ যথেষ্ট ৰসদণি আগবঢ়াইছে।

যোৱা তিনিটা দশকৰ পৰা ভ্ৰাম্যমাণ নাট্যগোষ্ঠীয়ে মঞ্চস্থ কৰা নাটকৰ লোকপ্ৰিয়তাই অসমীয়া চলচ্চিত্ৰৰ লোকপ্ৰিয়তাক চেৰ পেলাইছে। ইলেকট্ৰনিক মাধ্যমে ভ্ৰাম্যমাণ নাট্যগোষ্ঠীৰ লোকপ্ৰিয়তাক ম্লান কৰিব পৰা নাই। ইয়াৰ কাৰণ পাঁচটা : (১) নিটোল কাহিনী আৰু নাটকীয় সংঘাতৰ যোগেদি নাটসমূহে আঞ্চলিক সমস্যা দাঙি ধৰিব পাৰিছে। (২) বেছিভাগ নাটকৰ বিষয়বস্তু স্থিৰীকৃত প্ৰথাৰ বিৰোধী বা প্ৰতিষ্ঠানবিৰোধী। (৩) নাটকসমূহত গণ-সংস্কৃতিৰ মাধুৰ্য বিচাৰি পোৱা যায়। (৪) সুন্দৰ গল্প-উপন্যাসৰ কাহিনীতো স মাপতন (coincidence) আৰু চাঞ্চল্যকৰ আচৰণ (melodrama) থাকেই । অথচ সত্যসাদৃশ্য (verisimilitude)ৰ ফালৰ পৰা এই দুটা বস্তু দোষণীয় যদিও ভ্ৰাম্যমান নাট্যদলৰ শিল্পীয়ে অভিনয় শক্তিৰে ইয়াকে বিশ্বাসযোগ্য কৰি তোলে। তদুপৰি (৫) ভ্ৰাম্যমাণ নাট্যমঞ্চত নাট্যকাৰৰ বাণী (message) ৰ লগত আমোদ (etnertainment) ৰ সংগতিপূৰ্ণ প্ৰয়োগ ঘটে। ভ্ৰাম্যমাণ নাট্যগোষ্ঠীয়ে মঞ্চস্থ কৰিবৰ বাবে লিখা ভালেমান নাটকৰ সাহিত্যিক মূল্যও নুইকৰিব নোৱাৰি। এনে নাটকৰ বহুৰি একোটাকৈ সংকল্প প্ৰকাশিত হ'লে আমাৰ নাট্য-সাহিত্য নিশ্চয় চহকী হ'ব।

অসমীয়া বাতৰি কাকত আৰু আলোচনীয়ে শিশু-সাহিত্যক যথেষ্ট গুৰুত্ব দিছে। কিন্তু কেইজনমানত বাহিৰে আমাৰ বেছিভাগ শক্তিশালী সাহিত্যিক এইবিধ সাহিত্যৰ প্ৰতি আকৰ্ষিত হোৱা নাই। তথাপি পূৰ্বতে ইয়াৰ গতি মন্থৰ আছিল যদিও সম্প্ৰতি এই গতি যথেষ্ট দ্ৰুত নহ'লেও মন্থৰ বুলি ক'ব নোৱাৰি। শিশু আৰু কিশোৰৰ বাবে উপযোগী কিতাপৰ সংখ্যা এতিয়া বাঢ়িছে আৰু গুণগত বৈশিষ্ট্য থকা কিতাপৰ সংখ্যাও তাকৰীয়া নহয়। এনে সাহিত্যৰ যোগেদি শিশু আৰু কিশোৰক বিজ্ঞানৰ এক বুনিয়াদ দিব পাৰিলে দেশৰ ভবিষ্যৎ গঢ়াতো সহায় কৰা হয়। কাৰণ আমাৰ পৃথিবীখন দ্ৰুত গতিৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সভ্যতাৰ ফালেহে আগুৱাই আহিছে। আমাৰ শিশু-সাহিত্যিকসকলে এই অনিবাৰ্য সত্যটো উপলব্ধি কৰা উচিত। আমাৰ ভাষাত বিজ্ঞানভিত্তিক শিশু-সাহিত্যৰ অভাৱেই ইয়াৰ প্ৰধান দুৰ্বলতা।

এটা ভাষাত জ্ঞান-বিজ্ঞানৰ সকলো শাখাৰে গ্ৰন্থ থাকিব লাগে। ই এটা সমৃদ্ধ ভাষাৰ লক্ষণ। এনে হ'লেহে একোটা ভাষা স্বয়ংসম্পূৰ্ণ হয়। কাৰণ জ্ঞান-বিজ্ঞানৰ বিভিন্ন শাখাই এটা ভাষাক বিভিন্ন শব্দ দান দি ইয়াৰ প্ৰকাশিকা শক্তি বঢ়াইছে। এই ফালৰ পৰা চাবলৈ গ'লে অসমীয়া ভাষা চালুকীয়া অৱস্থাতে আছে। গতিকে আমাৰ এই অভাব পূৰণ কৰিবৰ হ'ল। পোনতে আমি

অসমীয়া বিজ্ঞান-সাহিত্য চহকী কৰিবলৈ যত্ন কৰিব লাগিব। দৰাচলতে বিজ্ঞান-চৰ্চা অবিহনে জাতীয় প্ৰচেষ্টা অসাৰ। বিজ্ঞান তত্ত্ব, তথ্য আৰু আৱিস্কাৰসমূহ সৰ্বসাধাৰণে বুজিব পৰাকৈ সদৰী কৰা ৰচনাই হ'ল বিজ্ঞান-সাহিত্য। এই সাহিত্যৰ সামাজিক অৱদান প্ৰচুৰ। এনে সাহিত্যই মানুহৰ মন অনুসন্ধিৎসু কৰি তুলি জীৱনৰ প্ৰতিটো খোজতে বৈজ্ঞানিক দৃষ্টিভঙ্গী লোৱাত আৰু সমাজৰ পৰা কু-সংস্কাৰ দূৰ কৰাত সহায় কৰে। পৃথিৱীৰ উন্নত ভাষাত লোকপ্ৰিয় বিজ্ঞানৰ গ্ৰন্থৰ সংখ্যা প্ৰচুৰ। ইংৰাজী ভাষাত শতকৰা পঞ্চ ভাগ গ্ৰন্থই লোকপ্ৰিয় বিজ্ঞানৰ। এই ক্ষেত্ৰত অসম বিজ্ঞান সমিতিয়ে প্ৰশংসনীয় কাম কৰিছে। কিন্তু এয়ে যথেষ্ট নহয়। অসম সাহিত্য-সভায়ো বিজ্ঞানেই আধুনিক বিশ্বৰ ধৰণী বুলি গণ্য কৰি অসম বিজ্ঞান সমিতিৰ সহযোগত বিজ্ঞানৰ লোকপ্ৰিয় গ্ৰন্থ প্ৰকাশ কৰিবলৈ প্ৰচেষ্টা চলোৱা উচিত। অসম বিজ্ঞান সমিতিয়ে ইতিমধ্যে বিজ্ঞান অভিধানৰ সুবৃহৎ প্ৰথম খণ্ডটো প্ৰকাশ কৰি বিজ্ঞানৰ বিভিন্ন শাখাৰ গ্ৰন্থাকাৰসকলক সুবিধা কৰি দিছে। বিজ্ঞানৰ পাঠ্যপুথিয়েও অসমীয়া ভাষাত বিজ্ঞান-চৰ্চা কৰাত সহায় কৰিছে।

অসমত পটুৱৈয়ে এতিয়া প্ৰয়োজনাধিক বাতৰি কাকত আৰু আলোচনী পঢ়িবলৈ পায়। এয়া হয়তো শুভ লক্ষণ; অসমবাসীৰ তথ্য-প্ৰীতি আৰু সামাজিক সচেতনতাৰ লক্ষণ। কিন্তু আমাৰ অসমীয়াত সাংবাদিকতাই ভাষাটোলৈ যিমানখিনি নতুন প্ৰকাশভংগী আৰু শব্দ দিব লাগিছিল, সিমানখিনি দিব পৰা নাই। ৰৱঞ্চ বহু ক্ষেত্ৰত বিজতৰীয়া বাক্য-বিন্যাস, বৰ্ণাশুদ্ধি আৰু কাকতে প্ৰতি সুকীয়া সুকীয়া বানানৰ প্ৰৱৰ্তনে ভাষাটোত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে বুলি অভিযোগ শুনা যায়। ইয়াক অচিৰে দূৰ কৰা উচিত। অসম সাহিত্য সভাই অসমীয়া বাতৰি কাকত আৰু আলোচনী সম্পাদকসকলক একগোট কৰি আলোচনা বিলোচনা চলাই বাক্যৰ গাঁথনি, শব্দৰ ব্যৱহাৰ আৰু বানান সম্পৰ্কে একোটা সিদ্ধান্তলৈ আহিব লাগে আৰু সিদ্ধান্তসমূহ সকলোতে সমানে প্ৰযোজ্য হব লাগে। এনে আলোচনা-বিলোচনাত আমাৰ ভাষাবিদসকলেও যথেষ্ট সহায় কৰিব পাৰে।

অসমীয়া সাহিত্য আৰু পূৰ্ণতাপ্ৰাপ্ত আৰু আত্মনিৰ্ভৰশীল হৈছেনে? যদিহে জ্ঞান-চৰ্চাৰ আৰু মনৰ খোৰাকৰ বাবে এজন শিক্ষিত লোকে আন ভাষাৰ সহায় ল'ব লগীয়া নহয়, তেনেহ'লে আমি বুজিব লাগিব যে অসমীয়া সাহিত্যই সেইখিনি গুণ আহৰণ কৰিব পাৰিছে। কিন্তু দেখা গৈছে যে গল্প, উপন্যাস, কবিতা, নাটক আৰু সাহিত্য-সমালোচনাৰ ক্ষেত্ৰত অসমীয়া সাহিত্য সমৃদ্ধ যদিও বিশ্ব-সাহিত্যৰ অমূল্য গ্ৰন্থৰাজিৰ অধিকাংশই অসমীয়া ভাষাত পঢ়িবলৈ পোৱা নাযায়। জ্ঞান-বিজ্ঞানৰ ভিন ভিন বিষয়ৰ তথ্য আৰু তত্ত্বও অসমীয়া ভাষাৰ যোগেদি আহৰণ কৰিব নোৱাৰি। গতিকে অসমীয়া সাহিত্যৰ উত্তৰোত্তৰ বিকাশৰ আস্থা ৰখা লোকসকলে এই বিষয়ে চিন্তা-চৰ্চা কৰি ইয়াৰ আন্তৰ্জাতীয়কৰণৰ প্ৰচেষ্টা অব্যাহত ৰখা উচিত। অসমীয়া ভাষালৈ কেনে ধৰণৰ আৰু কি কি গ্ৰন্থ অনুদিত হব লাগে, এই বিষয়ে অসমৰ বিশ্ববিদ্যালয়কেইখনৰ সহায়-সহযোগত অসম সাহিত্য সভা এটা স্থিৰ সিদ্ধান্তলৈ অহাটো অতিশয় প্ৰয়োজনীয় হৈ পৰিছে।

আনকি ঋগ্বেদখনেই অনুদিত হোৱা নাই। ভাৰতৰ অতিশয় সমৃদ্ধ প্ৰাচীন সাহিত্যই সকলো ভাষা-সাহিত্যৰ সমৃদ্ধত ইন্ধন যোগাইছে। গ্ৰন্থাকাৰ, প্ৰকাশক, বিশ্ববিদ্যালয়কেইখন আৰু অসম সাহিত্য সভাই প্ৰাচীন সাহিত্য অসমীয়ালৈ অনুবাদ কৰাৰ ক্ষেত্ৰত উমৈহতীয়া প্ৰচেষ্টা চলোৱা যুগুত। এই কাম হাতত লোৱাৰ পূৰ্বে আমাৰ ভাষাবিদসকলে বৰ্ণমালা আৰু ব্যাকৰণৰ সৰলীকৰণত অত্যধিক গুৰুত্ব দিয়া উচিত। বাইজে অসম সাহিত্য সভালৈ অকুণ্ঠ সঁহাৰি আগবঢ়াই আছে বাবে এই ক্ষেত্ৰত সভাই নেতৃত্ব দিব পাৰে।

আজিকালি বাটে-পথে অসমীয়া ল'ৰা-ছোৱালী আৰু ডেকা-গাভৰুৰ মুখত অশুদ্ধ উচ্চাৰণত অসমীয়া শুনি শুনি আমাৰ কাণ ঘোলা হৈছে। ইয়াৰ কাৰণ তিনিটা হব পাৰে; ইংৰাজী মাধ্যমৰ পঢ়াশালি, বিভিন্ন ভাষাভাষীৰ লগত মিশ্ৰণ আৰু ইলেকট্ৰনিক মাধ্যমৰ প্ৰতি আসক্তিৰ ফলত প্ৰকাশ ক্ষমতা হ্ৰাস। সেয়েহে আমাক এতিয়া লাগে Thirty Days to a More Powerful Vocabulary ৰ ধৰণৰ এখন কিতাপ, য'ত ব্যাকৰণ, বাক্য-বিন্যাস, বানান, ধ্বনিতত্ত্ব আৰু কঠিন শব্দৰ ৰহস্য ব্যাখ্যা আদি ত্ৰিছ দিনত কোৱা ত্ৰিছটা সাধুকথা হৈ পৰিছে। ভাষা-সাহিত্যৰ প্ৰচাৰ-প্ৰসাৰৰ অৰ্থে আমাৰ ভাষাবিদসকল এতিয়া সৰস হ'ৰৰ সময় আহি পৰিছে। সাহিত্য চৰ্চা কৰা লোকসকলৰ পৰা আমি বিচাৰোঁ অসমীয়া সাহিত্য আৰু অন্যান্য ভাৰতীয় সাহিত্যৰ তুলনামূলক বিশ্লেষণ। তেতিয়াহে অসমীয়া সাহিত্যৰ সীমাবদ্ধতা বুজি পাই আমাৰ বহুতে আত্মতুষ্টি বিসৰ্জন দি সাহিত্য-সেৱা কৰিবলৈ চেষ্টা কৰিব।

আইন অনুসৰি প্ৰশাসনত অসমীয়া ভাষাৰ প্ৰচলন হ'ব লাগে। পিছে এতিয়া ইংৰাজী ভাষাৰ প্ৰচলনহে বাঢ়িছে। অথচ

অসমীয়া ভাষাৰ প্ৰয়োগৰ দায়িত্বত থকা চৰকাৰী বিষয়াসকল অসমীয়া মানুহেই। ই সঁচাকৈয়ে স্ববিৰোধী কথা। অসম সাহিত্য সভাই জনগণৰ সহযোগত প্ৰশাসনত অসমীয়া ভাষা চলাবলৈ চৰকাৰক প্ৰবল হেঁচা দিয়া উচিত। কাৰণ চাপ সৃষ্টি অবিহনে চৰকাৰৰ গা নলৰে।

অকল দাবী জনালেই নহ'ব। অসমীয়া ভাষাটো সৰ্বজনগ্ৰাহ্য কৰি তুলিব লাগিব। তাৰ বাবে পোনতে এখন পূৰ্ণাংগ অভিধানৰ প্ৰয়োজন। অসমীয়া অভিধানৰ ইতিহাস ডেৰশ বছৰীয়াও নহয়। প্ৰথমে অসমীয়া আৰু ইংৰাজী অভিধান " A Dictionary in Assamese and English" প্ৰণয়ন কৰোতা আমেৰিকান বেপ্তিষ্ট্ মিছনেৰী মাইলচ্ ব্ৰনছন চাহাবে পাতনিত লিখিছে— "সকলো পুথিৰ মাজত অভিধান অতি প্ৰয়োজনিয়। অনেক ইংৰাজি লোকে অচমিয়া ভাষা সিকিবলৈ ইচা কৰে, আৰু অনেক অচমিয়া লোকেও ইংৰাজি ভাসা সিকিবলৈ শ্ৰম কৰি আছে। সকলোৰে উপকাৰৰ নিমিত্তে অচমিয়া ভাসাৰে এই প্ৰথম অভিধান সমাপ্ত কৰিলোঁ। ইয়াত ১৪০০০ চৈধ্য হেজাৰমান সব্দ আচে, তাৰ অৰ্থ অচমিয়া আৰু ইংৰাজি, এই দুই ভাসাৰে দিয়া হ'ল। উতম উতম পণ্ডিত, আৰু জনা লোকৰ সহাই লৈচিলোঁ, আৰু অনেক বচৰৰ পৰা সব্দ গোটাই, তাৰ অৰ্থ লিখা হৈচে....।" হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' ২২,৩৪৬ টা শব্দৰে ১৯০০ চনত প্ৰকাশিত হয়। তেওঁ সংস্কৃতীয়া আখৰ জোঁটনি প্ৰবৰ্তন কৰাৰ ফলত অসমীয়া ভাষাটোৰে এটা নতুন ৰূপ লাভ কৰে। ইয়াত ইংৰাজী অৰ্থও আছিল। ওই অভিধানে ভাষা-সাহিত্যসেৱীৰ প্ৰয়োজনীয়তা বহু পৰিমাণে পূৰণ কৰিছিল।

অসম সাহিত্য সভাৰ উদ্যোগত ১৯৩৩ চনত প্ৰকাশিত চন্দ্ৰকান্ত অভিধানৰ শব্দ-সংখ্যা আছিল ৩৬,৮১৯। ইয়াত শব্দৰ ব্যুৎপত্তি আৰু ইংৰাজী অৰ্থ দিয়াৰ উপৰিও অসমীয়া সাহিত্যত ব্যবহাৰ কৰা শব্দকো উদ্ধৃতিসহ স্থান দিয়া হৈছিল। চন্দ্ৰকান্ত অভিধান ইতিমধ্যে দুবাৰ সংশোধিত, সংবৰ্ধিত আৰু সম্পাদিত হৈ প্ৰকাশিত হৈছে। তথাপি ই সকলো শব্দকে সামৰিব নোৱাৰিলে। ইয়াত অগণন শব্দ অন্তৰ্ভুক্ত নহ'ল। শেহতীয়া সংস্কৰণটিত বহু তাত্ত্বিক আৰু ছপাৰ ভুল পোৱা গ'ল। এইখন অভিধানৰ বাহিৰেও বিগত প্ৰায় ছকুৰি পাঁচ বছৰৰ ভিতৰত হেমকোষ আৰু চন্দ্ৰকান্ত উপৰি কেবাখনো সৰু-ৰ অভিধান প্ৰণীত হৈছে যদিও আটাইকেইখন অভিধানেই আশানুৰূপ নহ'ল।

কুৰি শতিকাৰ এই শেষ দশকত ব্যাকৰণ-অভিধানৰ প্ৰণয়নৰ তাত্ত্বিক আৰু পদ্ধতিগত দিশ বহু উন্নত হৈছে। কিন্তু অভিধানতত্ত্ব আৰু অভিধান প্ৰণয়নৰ ন ন পদ্ধতিৰ প্ৰতি আমাৰ আভিধানিকসকল উদাসীন হৈ আছে। এনে এটা পৰিস্থিতিত ১৯৯১ চনত প্ৰকাশিত তৰুণ অভিযন্তা সুমন্ত চলিহাৰ দ্বাৰা সংকলিত "আধুনিক অসমীয়া শব্দ কোষ" খন এক আশাপ্ৰদ ব্যতিক্ৰম। ইয়াত নতুন শব্দ অন্তৰ্ভুক্ত কৰিলে সংবৰ্ধিত অভিধানখনে ভাষা-সাহিত্যসেৱী সকলৰ চাহিদা বহু পৰিমাণে পূৰণ কৰিব বুলি আশা কৰিব পৰা যায়। কাৰণ ইয়াত অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্টৰ স্বৰূপ দাঙি ধৰিবলৈ আশাগুধীয়া প্ৰচেষ্টা চলোৱা হৈছে। এই অভিধানখনৰ লগতে চন্দ্ৰকান্ত অভিধানৰ দোষ-ত্ৰুটি বোৰ গুচাই প্ৰচলিত সকলো শব্দ যোগ দিলে আমাৰ অধিকাংশ চাহিদা পূৰণ হ'ব পাৰে। তথাপি আমাৰ আভিধানিকসকল গোট খাই এখন সৰ্বাঙ্গসুন্দৰ অসমীয়া অভিধান ৰচিবলৈ কিঞ্চিত কাল বিলম্ব নকৰি কামত লাগি যোৱা উচিত। অসম সাহিত্য সভাই তেওঁলোকৰ মাজত সমন্বয় ৰক্ষা কৰাৰ বাবে অকনো চেষ্টাৰ ত্ৰুটি নকৰিব বুলি মোৰ ধাৰণা।

বহু লোকে অসমৰ জনজাতীয় ভাষা-উপভাষাৰ শব্দ অসমীয়া অভিধানত অন্তৰ্ভুক্ত কৰাৰ সপক্ষে অভিমত দিছে। কিন্তু জধে-মধে এই কাম কৰিলে নহ'ব। আমাৰ কথিত আৰু লিখিত ভাষাৰ প্ৰচলিত শব্দইহে অভিধানত ঠাই পোৱা উচিত। আমি এই কথা মনত ৰখা উচিত যে ন ন শব্দৰ অন্তৰ্ভুক্তিয়েহে ভাষাক সাৱলীল গতি দিয়ে। ভাষাত জাৰজত্ব নিন্দনীয় নহয়; প্ৰসংশনীয়হে। এই ক্ষেত্ৰত ভাষাবিজ্ঞানী গোলক চন্দ্ৰ গোস্বামীৰ অভিমত প্ৰণিধানযোগ্যঃ 'অসমীয়া ভাষাত অসংখ্য বিদেশী শব্দ আহৰণ কৰা হৈছে আৰু নিতৌ নতুন নতুন শব্দ সোমাব লাগিছে। সেয়ে, অসমৰ জনজাতীয় ভাষাৰ শব্দ গ্ৰহণত আপিত্তি বা বিৰোধিতাৰ প্ৰশ্ন নুঠে। বৰ্তমানে গল্প, উপন্যাস, কবিতা আদি জনজাতীয় ভাষাৰ যিবোৰ শব্দ প্ৰয়োগ হৈছে, সেইবোৰ নিশ্চয় অন্তৰ্ভুক্ত হ'ব লাগে।" এতেকে অসম সাহিত্য সভাই জনজাতীয় ভাষাৰ বিষয়ত আলোচনা আৰু বিশ্লেষণ কৰিবৰ অৰ্থে পদক্ষেপ লোৱা উচিত।

অসমৰ প্ৰত্যেকটি জনজাতিয়েই অসমীয়া সংস্কৃতিলৈ বিশিষ্ট অবদান আগবঢ়াই আহিছে। অসমীয়াৰ সাৰবস্তু শংকৰী সংস্কৃতিতো জনজাতীয় সংস্কৃতিৰ ভালেমান উপাদান বিচাৰি পোৱা যায়।

অনস্বীকার্য যে জনজাতীয় লোকসকলক অসমীয়া সমাজ, ভাষা আৰু সাহিত্যৰ পৰা পৃথক কৰিব নোৱাৰি। তেওঁলোকো উপৰোক্ত সংজ্ঞা মতে অসমীয়া। ইতিহাসে ইয়াৰ প্ৰমাণ দিছে। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁলোক আমাৰ পৰা বিচ্ছিন্ন হ'ব খুজিছে। আৱাহন যুগৰ পৰা তেওঁলোকৰ পৰম্পৰাৰ সংযোগী এই ভাষা অসমীয়া হৈ আছে যদিও সম্প্ৰতি তেওঁলোকৰ মাজৰে এক শ্ৰেণী লোকে ভাষা এৰিব খুজিছে। এইটো অতি অশুভ লক্ষণ। ইয়াৰ পৰা অসমীয়া-ভাষী লোকৰো ক্ষতি, তেওঁলোকৰো ক্ষতি। অসমৰ কোনোবা সম্প্ৰাই, দলে বা সম্প্ৰদায়ে উগ্ৰ জাতীয়তাবাদ আৰু অভিভাৱকত্ব প্ৰদৰ্শন কৰি জনজাতীয় লোকসকলক বিতুষ্ট কৰাৰ ফলতেই যদি এনে হৈছে, তেন্তে এতিয়া আমি তাৰ বাবে ক্ষমা মাগিছোঁ। অসম সাহিত্য সভাই সদায় জনজাতীয় লোকসকলৰ ভাষা-সাহিত্য-সংস্কৃতিক স্বীকৃতি দি আহিছে। এতিয়া অসম সাহিত্য সভাৰ সময় আহি পৰিছে— বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় ৰক্ষা কৰি সমগ্ৰ উত্তৰ-পূব ভাৰতক সুসংবদ্ধ কৰিবলৈ। নহ'লে এই বৃহৎ ভূখণ্ডত শোষণ চলি থাকিব; শোষণৰ স্বাৰ্থত ভাষা-ধৰ্ম-গোষ্ঠীভিত্তিক বিভাজন চলি থাকিব। এনে বিভাজনৰ ফলত আমাৰ অনগ্ৰসৰতা বৃদ্ধিহে হ'ব। আমি ঐক্যবদ্ধভাৱে একো দাবী কৰিব নোৱাৰিম। ৰাষ্ট্ৰই আমাৰ গোষ্ঠীগত দাবীক গুৰুত্বই নিদিব। ভাৰতৰ উত্তৰ-পূব ভূখণ্ড আৰ্থিকভাবে দুৰ্দশাগ্ৰস্ত। অৰ্থনৈতিক উন্নতিত বাদে আমাৰ আন গতি নাই। আমাক এতিয়া লাগে আৰ্থিক বল গোটাবৰ বাবে প্ৰস্তুতি আৰু সুচিন্তিত অৰ্থনৈতিক পৰিকল্পনা। কিন্তু এনে পদ্ধতি, এনে পৰিকল্পনা ব্যৰ্থ হ'ব, যদি আমি একগোট হব নোৱাৰোঁ। আমাৰ দাবী এতিয়া কোনেও নুশুনে, আমাৰ অস্তৱৰ বিননি হয় অৰণ্য-ৰোদন। সেয়েহে আমাৰ সনিৰ্বন্ধ অনুৰোধ : জনজাতীয় সুহৃদসকল, আপোনাসৰে, পূৰ্বৰ দৰে অসমীয়া ভাষা গ্ৰহণ কৰক। আপোনাসৰ আমাৰ লগত নেথাকিলে উভয়ৰে অকণো লাভ নহয়; বৰঞ্চ লোকচানহে বেছি হ'ব।

এই ক্ষেত্ৰত আমাৰ বাতৰি কাকতসমূহে এনে ভূমিকা গ্ৰহণ কৰি লাগে যাতে সকলো জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ লোক ঐক্যবদ্ধ হৈ অৰ্থনৈতিক প্ৰগতিৰ অৰ্থে প্ৰস্তুতি চলাব পাৰে। কিন্তু কথাটো সিমান সহজ নহয় বুলি আমি জানো। আমাৰ মাজত এতিয়াও জাত-পাত লৈ ব্যস্ত থকা লোকৰ সংখ্যা তাকৰীয়া নহয়। অথচ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰে পৃথিৱীৰ অভূতপূৰ্ব ৰূপান্তৰ অনা গৌৰৱপূৰ্ণ কুৰি শতিকাটোৰ অন্ত পৰিবলৈ আৰু কেইবছৰমানহে বাকী। কুসংস্কাৰ, ধৰ্মান্ধতা আৰু সাম্প্ৰদায়িকতাই যদি আমাৰ জাতীয়তাক নিৰ্বলী কৰি থাকে আৰু আমাৰ ৰাজনীতিও যদি ভেদাভেদৰ ওপৰত প্ৰতিষ্ঠিত হয়, তেন্তে আমি কি সমল লৈ একৈশ শতিকাত ভৰি দিম?

কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক নীতি যেনেকুৱাই নহওক লাগে, ইয়াৰ সুযোগ গ্ৰহণ কৰি ভাৰতৰ বহু ৰাজ্যই যথেষ্ট উন্নতি কৰিছে। কেৱল অসম আৰু চুবুৰীয়া ৰাজ্যকেইখনহে পিছ পৰি ৰৈছে। আমি ৰাষ্ট্ৰৰ অৰ্থনৈতিক আঁচনিত ভাগ ল'বলৈ সুবিধা পোৱা নাই। ৰাষ্ট্ৰৰ কেন্দ্ৰীভূত ক্ষমতা আৰু নেতৃত্বই আমাক আভুৱা ভাঁৰি আছে। কিন্তু আমাৰ ৰাজ্যিক নেতৃত্বই ইয়াৰ প্ৰতি প্ৰত্যাহ্বান জনোৱা নাই। ৰাজনৈতিক অদূৰদৰ্শিতাৰ ফলত অসম আজি ভগ্নস্তূপ। এনে সময়তেই আমাক ঐক্য আৰু ঐকান্তিকতাৰ প্ৰয়োজন। কিন্তু আমি সকলো দিশৰ পৰা প্ৰতাৰণাৰ বলি হৈছোঁ। দুস্তৰ ৰাজনীতিৰ কবলত পৰি এতিয়া অসমৰ মানুহে ভেদাভেদৰ প্ৰাচীৰ ভাঙিব পৰা নাই। তাৰ পৰিবৰ্তে ৰাজনীতিকৰ স্বাৰ্থৰ মেৰপাক বুজিব নোৱাৰি অসমবাসী আত্মঘাতী বিচ্ছিন্নতাকামী কাৰ্যত লিপ্ত হৈছে; এতিয়া অসমৰ আত্মা ছিৱলা-ছিৱলি হৈছে। আচল সমস্যাকেইটালৈ আওকাণ কৰি অসমবাসী ভোট দিয়া নিদিয়াৰ ৰাজনীতিত ভোল গৈ নিজৰ ভিতৰতে সংঘৰ্ষত লিপ্ত হৈছে। অথচ সকলো একগোট হৈ সংগ্ৰাম কৰিব লাগিছিল ব্ৰহ্মপুত্ৰ-বৰাক-আৰু উপনৈবোৰৰ ক্ষয়ংকৰী শক্তিৰ বিৰুদ্ধে, কৃষকক জুৰুলা কৰা আৰু কৃষি উৎপাদনৰ প্ৰচেষ্টা খৰ্ব কৰা বানপানীৰ বিৰুদ্ধে, বিদেশী নাগৰিকৰ বসতি স্থাপন আৰু অহৰহ প্ৰব্ৰজনৰ বিৰুদ্ধে আৰু অৰ্থনৈতিক অচলাবস্থাৰ বিৰুদ্ধে। অৰ্থনৈতিক কেলেংকাৰিৰ বিৰুদ্ধেও অসমবাসী জাগি উঠাৰ প্ৰয়োজন হৈ পৰিছে। কাৰণ শ শ কোটিটকীয়া কেলেংকাৰিবোৰ এটা নিৰ্দিষ্ট সময়ৰ মূৰত আইন আৰু ধনবলৰ মায়াজালত পৰি অন্তৰ্ধান হয় আৰু ইয়াৰ অভিযুক্ত খলনায়কবোৰেজাতিৰ নৈতিকতা আৰু উন্নয়নৰ গতি অধঃপতিত কৰে। আমাৰ কিছুমান কলমজীৱী আৰু বুদ্ধিজীৱী এনে লোকৰ কবলত পৰাটোও ৰাজ্যখনৰ কাৰণে অতিশয় অশুভ লক্ষণ। আমি আচলতে কাচ বিচাৰি মণিকহে হেৰুৱাইছোঁ।

ব্ৰহ্মপুত্ৰৰ বিভীষিকা বন্ধ কৰিবৰ বাবে ব্ৰহ্মপুত্ৰ বৰ্ডেৰহু হেজাৰ কোটিটকীয়া নদী প্ৰকল্পৰ কথা কৈছে। কেন্দ্ৰীয় চৰকাৰে তাকে কাৰ্যকৰী নকৰাৰ অজুহাত দে খুৱাই বান-নিয়ন্ত্ৰণৰ বাবে বহুবি কিছু ধন দি আমাৰ মুখ বন্ধ কৰিব খুজিছে। কিন্তু বিয়াগোম বান্ধৰ কথা নেভাবি অন্য ধৰণেও নদী-নিয়ন্ত্ৰণ কৰিব পৰা যায় বুলি জলবিদ্যাবিশাৰদে মত পোষণ কৰিছে। তেওঁলোকৰ মতে

বিয়াগোম বান্ধবোৰ অপ্রয়োজনীয় আৰু পৰিবেশৰ ক্ষতিকাৰক। তাৰ সলনি নৈ-উপনৈত সৰু সৰু বান্ধ নির্মাণ কৰি বান নিয়ন্ত্রণ কৰিব পাৰি, পলস পৰাৰ বাবে নদীসমূহ বাম হোৱাটো বন্ধ কৰিব পাৰি আৰু প্রচুৰ পৰিমাণে বিজুলী শক্তি উৎপাদন কৰিব পাৰি। তদুপৰি ভূমি-সংৰক্ষণ, উন্নত কৃষি আৰু জলসিঞ্চনৰ পৰিকল্পনা আৰু নৈৰ উপৰিভাগত বৃক্ষ-ৰোপণে বানপানী কমোৱাত সহায় কৰিব পাৰে। এনে পদক্ষেপ ল'লে ব্রহ্মপুত্র আৰু ইয়াৰ উপনৈবিলাকৰ দুৰন্ত গতি মন্থৰ হ'ব আৰু বানপানীৰ তীব্রতা কমিব। জলচ্ছেদসমূহৰ বিকাশেও বানপানী কমাব পাৰে। কিন্তু এইবোৰ কাম হোৱা নাই। বানপানীৰ দৰে জ্বলন্ত সমস্যা এটাক গাপ দি ৰখা হৈছে।

অসম তথা উত্তৰ-পূব ভাৰতত বিদেশী নাগৰিকৰ সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। এই সমস্যাই সুবিস্তীর্ণ অঞ্চলটোৰ প্রকৃত অধিবাসী লোকসংখ্যা, অর্থনীতি আৰু সমাজৰ সুস্থিৰতা আৰু ভাৰসাম্যত বিষিনি ঘটাইছে। সমস্যাটো অস্তিত্ব বিলোপৰ লগতো জড়িত। আচলতে পূব ভাৰতত বাংলাদেশীকৰণ ঘটিছে। সামান্যতম অর্থনৈতিক প্রগতি নথটা বাংলাদেশ যেন বস্তুবীজৰহে জন্মদাতা। আনকি দিল্লীতো প্রায় পাঁচ লাখ বাংলাদেশী আছে। আচৰিত কথা যে অসমত বহু লাখ অবৈধ বিদেশী নাগৰিকে খোপনি পোতা আৰু অসুৰক্ষিত সীমান্তইদি অহৰহ প্রব্রজন ঘটা সত্ত্বেও সম্প্রতি কোনো কোনো ৰাজনৈতিক দলে ভোট পোৱাৰ আশাত ৰহস্যজনকভাবে নীৰৱতা অবলম্বন কৰিছে। এতিয়া বিদেশী নাগৰিকৰ স্থিতি আৰু প্রব্রজন এটা ৰাজনৈতিক খেলা হৈ পৰিছে। চৰকাৰে বিদেশী নাগৰিকৰ সংখ্যা সহজে নির্ণয় কৰিব পাৰে যদিও তাকে কৰিব নোখোজে। সীমান্ত সুৰক্ষাৰ প্রতিও চৰকাৰ উদাসীন। এনে এটা পৰিস্থিতিতেই অসম তথা উত্তৰ-পূব ভাৰতৰ জাতি-উপজাতি, ভাষিক আৰু ধর্মীয় সংখ্যালঘুসকল আৰু বিভিন্ন জনগোষ্ঠীৰ ঐক্যৰ প্রয়োজন হৈ পৰিছে; সকলোৱে সমস্বৰে দাবী জনোৱাৰ সময় আহি পৰিছে। তাৰ বাবে প্রবল জনমতৰ প্রয়োজন হৈছে। এই ক্ষেত্রত অসম সাহিত্য সভাৰ দায়িত্ব আছে। কাৰণ, অসমত ইয়ে একমাত্র সংগঠন যাক অসমবাসীয়ে জাতি-বর্ণ-ধর্ম নির্বিশেষে অন্তৰৰ পৰা ভাল পায়। এয়ে ইয়াক শক্তি দি আহিছে। এই শক্তিক কামত খটোৱা বৰ প্রয়োজনীয় হৈ পৰিছে। অথচ অসম সাহিত্য সভা এটা অৰাজনৈতিক ঐতিহ্যপূর্ণ সংগঠন। কিন্তু যিবোৰ সমস্যাই ৰাজ্যখনৰ আর্থ-সামাজিক স্থিতি বিপন্ন কৰিব পাৰে, সেইবোৰ সমস্যা দূৰ কৰিবলৈ আত্মৰক্ষামূলক পদক্ষেপ গ্রহণ নকৰি আৰু জনমতৰ সৃষ্টি নকৰি অসম সাহিত্য সভাই নিজৰ কার্যাবলী মাথোন সাহিত্য-সংস্কৃতিৰ বিকাশতে সীমিত ৰাখিলে নহ'ব। অসম সাহিত্য সভাই ইয়াৰ নিদর্শন পূর্বে কেবাবাৰো দাঙি ধৰিছে। আচলতে ইয়াৰ কাম হ'ব লাগে কেবালা সাহিত্য একাডেমী আৰু কেৰালা শাস্ত্র সাহিত্য পৰিষদৰ দৰেহে। এই দুটি সংগঠনে ৰাজনীতিৰ পৰা দূৰৈত থাকিও ৰাজ্যখনৰ আর্থ-সামাজিক স্বার্থৰ হকে যুঁজি আহিছে আৰু সফলতাও দেখুৱাইছে।

অসমীয়া সমাজৰ পৰা বিচ্ছিন্ন হ'ব খোজা অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সোমাই পৰি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি প্রচাৰ কৰাটো অসম সাহিত্য সভাৰ প্রধান কর্তব্য হোৱা উচিত। আমাৰ সকলোৱে তেওঁলোকৰ ভাষা-সাহিত্য-সংস্কৃতি শিকিবলৈ আৰু আয়ত্ত কৰিবলৈ আগ্রহ দেখুওৱা উচিত। এনেদৰে বিনিময়ৰ যোগেদি সংহতি স্থাপন কৰা উচিত। এনে কৰোঁতে আমি কদাপিও ভাষা-সাহিত্য-প্রেমৰ উগ্রতা প্রকাশ কৰা অনুচিত। পূর্বতে যদি এনে মনোভাব প্রকাশ পাইছিল, তাৰ বাবে আমি এতিয়া ক্ষমা বিচৰা উচিত। এই ক্ষেত্রত আমি জ্যোতিপ্রসাদৰ বাণী সাৰোগত কৰি লোৱা উচিত। আমি সাধক শিল্পী আৰু "জনতাৰ প্রাণৰো প্রাণত, মনৰো মনত" ঠাই পোৱা জ্যোতিপ্রসাদৰ মনোভঙ্গী আৰু আদর্শক অনুধাৱন কৰা উচিত। তেওঁ অসমৰ বিভিন্ন জাতি-উপজাতিক আৰু ভাষাভাষী লোকক অসমীয়া ভাষা-সংস্কৃতিৰ বহল গঢ় এটাত একত্রিত কৰিবলৈ ইচ্ছা প্রকাশ কৰিছিল। তেওঁ লিখিছিল, "আজি অসমত যি যি সুকীয়া সংস্কৃতি আহি উপস্থিত হৈছেহি সেই সকলোৱে এটা সমন্বয় কৰি এটা নতুন পূর্বভাৰতীয় সংস্কৃতি গঢ়ি তুলিবলৈ আমাৰ নৱজন্মৰ উৎসৱৰ মাজেদি চেষ্টা হ'ব লাগে। বংগৰ নৱাগত, উত্তৰ ভাৰতৰ হিন্দুস্থানী, মাৰোৱাৰী, শিখ, নেপালী, দক্ষিণ ভাৰত আৰু মধ্য ভাৰতৰো অসংখ্য লোক আহি নিগাজিকৈ অসম দেশত বহিছেহি। তাৰ উপৰিও আমাৰ নিজৰ চাৰিওফালে আৰু আমাৰ মজতো উপভাষা-ভাষী পর্বতীয়া অসমীয়াসকলৰ নিজৰ নিজৰ বিচিত্র সংস্কৃতি জকমকাই আছে। আজি আমিএই সকলোকে নিজৰ মাতৃভাষা, দোহান, সংস্কৃতি এৰি ল'বলৈ কৈছোঁ আমাৰ মহাপুৰুষীয়া সংস্কৃতি, যাক আমি অসমীয়ায়ো কপান্তৰিত কৰিব খুজিছোঁ সেই পুৰণি সংস্কৃতিলৈ, (কিন্তু) নিজৰবোৰ এৰিবলৈ কোৱাটো মহাপুৰুষ শংকৰদেৱৰ সমন্বয়ৰ নীতিৰ ফালৰ পৰাও অসংগত। মহাপুৰুষে যদিও তৈয়ামত থকা অসমীয়াৰ সৈতে এটা সাংস্কৃতিক সংগঠনলৈ মিৰি, মিকিৰ, গাৰোসকলক আনিছিল, তথাপিও তেওঁলোকৰ জাতীয় ৰীতি-নীতি, যি খাপৰ

সংস্কৃতি তেওঁলোকৰ আছিল, তাৰ বৈশিষ্ট্য নষ্ট হ'বলৈ নিদিয়াকৈ সেই সংগঠনত সুমুৱাইছিল। নিজৰ ভিতৰত সংস্কৃতিৰ যেনেকৈ বৈপ্লৱিক ৰূপান্তৰ কৰিছিল, সেইদৰে যাৰ সৈতে সমন্বয় কৰিব তাকো নতুন সংস্কৃতিৰ পোহৰত সলাবলৈ মাথোন বিচাৰিছিল। আজি আমিও তাকেই কৰিব লাগিব। নতুনৰ পোহৰত আমাৰো পুৰণি সংস্কৃতিৰে কিছু এৰিব লাগিব, সেইদৰে আনসকলেও এৰিব লাগিব তেওঁলোকৰ লগত লৈ অহা পুৰণি সংস্কৃতি।" (জ্যোতিৰ্ধাৰা পৃঃ ৭০-৭১)

পিছে অকল ইয়াকে কৰি অসমীয়া মানুহ সন্তুষ্ট থাকিব নেলাগিব। বিভিন্ন জাতি-উপজাতি আৰু ভাষাভাষী লোকৰ মনৰ কথাই অসমীয়া গল্প-উপন্যাস, নাটক, কবিতা আৰু গানত ঠাই পাব লাগিব। তেওঁলোকক টানি-ধুঁহি অসমীয়া নকৰি ইয়াৰ যোগেদি আমাৰ মাজলৈ টানি আনিব লাগিব।

অসমত প্ৰায় ৪৫ লাখ চাহ-বাগিচাৰ বনুৱা আছে; তাহানিৰ পূৰ্ব বা পুব পাকিস্তানৰ পৰা অহা ইছলামধৰ্মী লোক আছে ৫২ লাখ। কেৱল সংখ্যাৰ ফালৰ পৰাই নহয়, শ্ৰম আৰু কাৰ্যকুশলতাৰ ফালৰ পৰাও তেওঁলোক অসমৰ এক প্ৰচণ্ড শক্তি। অসম সাহিত্য সভাই তেওঁলোক থকা অঞ্চলসমূহত স্থিতি লাভ কৰিব লাগিব আৰু তেওঁলোকক অসমীয়া ভাষা-সংস্কৃতিৰ বহুল গঢ় এটাত একত্ৰিত কৰিবলৈ অক্লান্ত প্ৰচেষ্টা চলাব লাগিব। তাৰ বাবে এতিয়া বেছ সুচল হৈছে। উপৰোক্ত পুচ লাখ অধিবাসীয়ে অসমীয়া মাধ্যমত শিক্ষালাভ কৰি অসমীয়াত্ব লাভ কৰাৰ প্ৰয়াসত সফলতা দেখুৱাইছে। সম্প্ৰতি তেওঁলোকৰ মাজৰ পৰা ভালেমান কৃতী লোক ওলাইছে।

চাহ-বাগিচাৰ কৰ্মীসকলৰ সঁহাৰিও উৎসাহজনক । কেইটিমান সাংস্কৃতিক সংগঠনৰ কল্যাণত চাহ-বাগিচাৰ অঞ্চলত সংস্কৃতিৰ আশানুৰূপ বিনিময় ঘটিছে। বহু চাহ-বাগিচাৰ বনুৱাই শংকৰী কলা-কৃষ্টিৰ প্ৰতি নিবিড় অনুৰাগ প্ৰদৰ্শন কৰিছে। চাহ-বাগিচাৰ অঞ্চলত ঘাই সমস্যা হৈছে সাক্ষৰতাৰ নুন্যতম হাৰ। বাগিচাৰ কৰ্তৃপক্ষই পূৰ্বৰে পৰাই বনুৱাসকলৰ শিক্ষাদান আৰু সামাজিক সংস্কাৰৰ প্ৰতি সদায় অৱহেলা কৰি আছে। ইয়াৰ ফলস্বৰূপে চাহ-বাগিচাত থকা লোকৰ সাক্ষৰতা মাথোন শতকৰা পাঁচ ভাগমানহে হ'ব। একালত আন ৰাজ্যৰ পৰা অহা চাহ-বাগিচাৰ বনুৱাসকল অসমৰ নিগাজি সম্পদ। তেওঁলোকৰ কথিত ভাষাই অসমীয়া ভাষাৰ শব্দৰ ভঁৰাল চহকী কৰিছে। অসমীয়া সংস্কৃতিৰ সংস্পৰ্শত তেওঁলোকৰ সংস্কৃতিয়ে এক নতুন গঢ় লৈছে আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি লাভৱান হৈছে। সেইবাবেই আমি তেওঁলোকৰ মাজৰ পৰা পাইছোঁ সনন্ত তাঁতী আৰু সমীৰ তাঁতীৰ দৰে সুকবি আৰু শিবচৰণ দাসৰ দৰে গায়ক-গীতিকাৰ। বনুৱা নেতা গণেশ কুমীয়ে কোৱা মতে অসমৰ চাহ-বাগিচাত এতিয়ালৈকে প্ৰায় সত্তৰখন শাখা সাহিত্য সভা আছে। ই সঁচাকৈয়ে বৰ সন্তোষৰ কথা।

পূৰ্বতে পূৰ্ব বংগ আৰু তাৰ পিছত পুব পাকিস্তান নামে পৰিচিত একেখন ঠাইৰ পৰা অহা অসম উপত্যকাৰ ইছলামধৰ্মী লোকসকলক অবৈধ বাংলাদেশীৰ প্ৰতি প্ৰীতি আছে বুলি সন্দেহ কৰাটো সমীচীন হোৱা নাই বুলি অসমৰ বাইজে বুজা উচিত। তেওঁলোকক এতিয়া পমুৱা মুছলমান বা ন অসমীয়া বুলিও কোৱা অনুচিত। কাৰণ অসমীয়া সংস্কৃতিৰ আত্মীকৰণ প্ৰক্ৰিয়া ইমানেই সক্ৰিয় আৰু তেওঁলোকৰ অসমীয়া জীৱনৰ মূল সুঁতিলৈ আহিবলৈ ইমানেই আগ্ৰহ আৰু প্ৰচেষ্টা যে তেওঁলোক পূৰা অসমীয়া। তেওঁলোকৰ শিক্ষিত লোকসকলে অসমীয়া সাহিত্যলৈ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অৱদান আগ বঢ়াইছে। প্ৰয়াত অৰ্থনীতিবিদ ড° প্ৰভাসচন্দ্ৰ গোস্বামীৰ কৃষি-অৰ্থনীতিৰ গবেষণাই প্ৰতিপন্ন কৰিছে যে এনে সৰ্বমুঠ প্ৰায় পুচ লাখ লোকৰ অসমৰ কৃষি-উৎপাদনত প্ৰচুৰ অৰিহণা আছে। শ্ৰমভূষণ এই লোকসকল অসমৰ নিগাজি সম্পদ। সুখৰ কথা যে তেওঁলোকৰ শিক্ষিত তৰুণ-তৰুণীসকল অসমৰ চহৰীয়া অঞ্চলৰ ইংৰাজী মাধ্যমত শিক্ষা লাভ কৰা উচ্চ মধ্যবিত্তৰ খিলঞ্জীয়া অসমীয়া তৰুণতৰুণীতকৈ বহুত বেছি অসমীয়া। তেওঁলোকে শুদ্ধ অসমীয়া কয় আৰু লিখে। তাকে মোৰ জনাৰ সুযোগ ঘটিছিল এখন অসমীয়া সাপ্তাহিকৰ সম্পাদক হৈ থাকোঁতে, ১৯৮৭ চনত অসম সাহিত্য সভাৰ উপসভাপতি বিচাপে গোৱালপাৰা জিলাৰ চৰ অঞ্চল ভ্ৰমণ কৰোঁতে আৰু ১৯৯৪ চনত গোৱালপাৰা চহৰত অসম সাহিত্য সভাৰ দ্বাৰা অনুষ্ঠিত চুটি গল্পৰ কৰ্মশালা এটিৰ সঞ্চালকৰ দায়িত্ব লওঁতে। আন হাতেদি অসমৰ চহৰসমূহত জধে-মধে উলুবন বঢ়াদি বঢ়া ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহৰ 'কল্যাণ'ত আৰু উচ্চ মাধ্যবিত্তৰ পছিমীয়া জীৱন-ৰীতি অক্ষমভৱে অনুকৰণ কৰা ফলত খিলঞ্জীয়া অসমীয়াৰ সন্তানসকলে অসমীয়া ভাষাটো হেনা-হুঁচাকৈ কয় আৰু প্ৰায়ে ভুলকৈ কয়। সংখ্যাবোৰ অসমীয়া ভাষাত ক'ব নোৱাৰে। এতিয়া 'দহ বাজিছে' বুলি ক'ব নোৱাৰে, 'টেইনটা বাজিছে' বুলিহে কয়। তেওঁলোকে কাক কেনেকৈ সম্বন্ধ ধৰিব লাগে নেজানে। 'আংকোল' আৰু 'আণ্টি'বেই কেবাবিধো আত্মীয় ব্যক্তিৰ পৰিচয় দাঙি ধৰে। পেহা, পেহী, মহা, মাহী, খুড়া, খুড়ী আদি শব্দ তেওঁলোকৰ বাবে

অচিন। তেওঁলোকৰ পিতৃ-মাতৃয়েও তেওলোকে অসমীয়া নজনাৰ কাৰণে গৰহে কৰে। এতেকে এনেবোৰ সন্তানে অসমীয়া ভাষা-সাহিত্যৰ খবৰ ৰখাৰ প্ৰশ্নই নুঠে। অথচ অভিবাসী আখ্যা দিয়া কৃষিজীৱী মুছলমানসকলে অসমীয়াক মাধ্যম হিচাপে গ্ৰহণ কৰি শুদ্ধ অসমীয়া ক'বলৈ আৰু লিখিবলৈ চেষ্টা চলোৱাৰ উপৰিও অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ খবৰ ৰাখে। তেনেহ'লে আমি কাক অসমীয়া বুলি ক'ম? ইংৰাজী শব্দ মিহলাই অশুদ্ধ অসমীয়া কোৱা কোনোৱা ৰবা, শইকীয়া বা মহন্তৰ সন্তানক নে, চৰ অঞ্চলৰ কোনোবা গোলাম মুস্তাফা, আদিল খাণ্ডেকাৰ বা ৰফিকুল হোছেইনৰ সন্তানক?

পমুৱা মুছলমান বা অভিবাসী আখ্যা পোৱা এই লোকসকলৰ মাজত অসম সাহিত্য সভা সোমাই পৰি তেওঁলোকক অসমীয়া সমাজৰ মূল সুঁতিলৈ আনিবৰ আচল সময় আহি পৰিছে। কাৰণ সম্প্ৰতি ৰাজনৈতিক অদূৰদৰ্শিতাৰ ফলত অসমক পংগু কৰিব পৰা বিধৰ বিভেদ দ্ৰুত গতিৰে চলি আছে। শ্ৰীমন্ত শংকৰদেৱ, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, কৃষ্ণকান্ত সন্দিকৈ, অম্বিকাগিৰী ৰায়চৌধুৰী, ডিম্বেশ্বৰ নেওগ প্ৰভৃতি অসমবাসীৰ ধমনীৰ স্পন্দন বুজা মহান অসমীয়াসকলৰ স্বপ্ন চুৰ্ণ-বিচুৰ্ণ হ'ব খুজিছে। এনে পৰিস্থিতিত ৪৫ লাখ চাহ-বাগিচাৰ বনুৱা আৰু প্ৰায় ৫২ লাখ মুছলমান অভিবাসী হ'ব অসমৰ অস্তিত্ব, সংহতি আৰু আৰ্থিক সংগতি বজাই ৰখাৰ অৰ্থে এক সংযোজক শক্তি। তেওঁলোকৰ মাজত অসম সাহিত্য সভাৰ সংহতিসূচক কাৰ্যাৱলীৰ নিবিড় সম্প্ৰসাৰণ ঘটাব পাৰিলে ইয়াৰ প্ৰতি বহু অসমীয়া লোকে পোষণ কৰা বিৰূপ মনোভাব বহু পৰিমাণে দূৰ হব বুলি আশা কৰিব পাৰি।

আমাৰ গৌৰব হ'ল আমাৰ সংস্কৃতি। কাৰণ আমি ব্যৱসায়-বাণিজ্য, ঔদ্যোগীকৰণ আৰু প্ৰযুক্তিগত কৌশলক লৈ গৌৰব কৰিব নোৱাৰোঁ। সেইদৰে উত্তৰ-পূব ভাৰতৰ প্ৰতিটো জাতি-উপজাতিৰ সংস্কৃতিও তেওঁলোকৰ গৌৰৱৰ স্থল। কিন্তু সম্প্ৰতি ৰাজনৈতিক চক্ৰান্তৰ ফলত এই বৃহৎ ভূখণ্ডৰ জনগোষ্ঠীৰ মাজত পাৰস্পৰিক ঘৃণাৰ ভাব উদয় হৈছে। তাৰ ফলত এই সাত-ভনীৰ দেশত কোনোখন ৰাজ্যৰ চৰকাৰে উন্নয়নমূলক কাম কৰিব নোৱাৰা হৈছে। ভাৰতবৰ্ষৰ আন ৰাজ্যৰ লগত কোনো পথ্যে নিমিলা এই সাতখন ৰাজ্যৰ সমষ্টিক এক দ্বিতীয় ভুৱন বুলি আখ্যা দিব পাৰি। বিভাজনে এই দ্বিতীয় ভুৱনৰ কণ্ঠৰোধ কৰিছে। এতিয়া বঙলা আৰু হিন্দী ভাষাৰ সম্প্ৰসাৰণবাদে ইয়াৰ বৰ্ণাঢ্য সংস্কৃতিৰ যিমান অনিষ্ট ঘটাইছে, দূৰদৰ্শনৰ বাকচটোৰ ওপৰত আকাশৰ পৰা কৰা আক্ৰমণেও সিমান অনিষ্ট ঘটাব পৰা নাই। সেয়েহে আমি পৰস্পৰৰ ভাষা-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হৈ ইয়াৰ মাজত থকা বিভিন্নতাৰ মাজত ঐক্যৰ সন্ধান কৰিব লাগিব। তাকে কৰিবলৈ এই দ্বিতীয় ভুৱনৰ বিভিন্ন ভাষা-সংস্কৃতিৰ গুৰিয়ালসকল সঘনে একত্ৰিত হব লাগিব। এই ক্ষেত্ৰত অসম আৰু অসম সাহিত্য সভাৰ পৰা উত্তৰ-পূব ভাৰতৰ বাইজে বহুতো আশা কৰিছে। এই বৃহৎ ভূখণ্ডৰ প্ৰগতিবাদী বঙলা-ভাষী লোকসকলেও এনে আশা পোষণ কৰে। অলপতে ত্ৰিপুৰালৈ গৈ তেওঁলোকৰ মনৰ কথা জানি আহিছোঁ। অসমত অসমীয়াভাষীৰ শিক্ষিতৰ হাৰ বেছি আৰু গুৱাহাটীৰ দৰে অখন মহানগৰ উত্তৰ-পূব ভাৰতৰ ৰাজ্য কেইখনৰ প্ৰৱেশদ্বাৰ হৈ পৰিছে। সেয়েহে এনে সমন্বয়ৰ কাৰণে অসমে নেতৃত্ব লোৱা উচিত বুলি বহুতে মত পোষণ কৰিছে। এই কাম অসম সাহিত্য সভাৰ দ্বাৰা কৰাহে সম্ভৱ। কাৰণ ই ৰাজনৈতিক তুচ্ছতা আৰু স্বাৰ্থৰ উৰ্ধ্বত। গতিকে অসম সাহিত্য সভালৈ সম্প্ৰতি গুৰু দায়িত্ব আহি পৰিছে। এই ক্ষেত্ৰত মধ্য যুগৰ শ্ৰীমন্ত শংকৰদেৱ আৰু গুণনিধি মাধৱদেৱৰ কৰ্মপদ্ধতি অসম সাহিত্য সভাৰ আদৰ্শ হোৱা উচিত। এই ধৰ্মগুৰু দুজনাৰ দিনৰ ৰৰ অসমত কছাৰী ৰাজ্য, কোঁচ ৰাজ্য, আহোম ৰাজ্য আদি আছিল। এনে ৰাজনৈতিক বিভাজন দেখি তেওঁলোক সমূলি চিন্তিত নহৈ নিজৰ কাম কৰি গৈছিল। তেওঁলোকে ভাবিছিল যে যিমানেই বেলেগ বেলেগ ৰাজ্যলৈ গে সত্ৰ পাতি ধৰ্ম-ভাষা-সাহিত্য-সংস্কৃতি প্ৰচাৰ কৰিব, সিমানেই ভিন ভিন ৰজাই শাসন কৰা বৃহৎ অঞ্চলটো সংহতিৰ যোগেদি বলীয়ান হ'ব। সুখৰ কথা উত্তৰ-পূব ভাৰতৰ সকলো সচেতন নাগৰিকে গুৱাহাটী মহানগৰী ঐক্যকামী সাহিত্য-সংস্কৃতিৰ মূল কেন্দ্ৰ হোৱাটো বাঞ্ছা কৰে। এই বাঞ্ছা পূৰণৰ অৰ্থে অসম উপত্যকাৰ বিশ্ববিদ্যালয়কেইখন আৰু অসম সাহিত্য সভা অবিলম্বে কামত লাগি যোৱা উচিত।

উত্তৰ-পূব ভাৰতৰ অধিকাংশ আদিবাসীৰ সংযোগী ভাষা হ'ল অসমীয়া। সম্প্ৰতি খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ বিভেদকামী চক্ৰান্ত আৰু কেন্দ্ৰীয় চৰকাৰৰ হিন্দীৰ সম্প্ৰসাৰণবাদী নীতিয়ে অঞ্চলটোৰ ঐক্য-সম্প্ৰতি কিনষ্ট কৰিব খুজিছে। ইয়াৰ ফলত অৰুণাচলত তাৰ অভিবাসীয়ে ব্যৱহাৰ কৰা সংযোগী অসমীয়া ভাষাটো অনাতাঁৰ কেন্দ্ৰকেইটাই প্ৰয়োগ কৰা নাই। নাগালেণ্ডত অনাতাঁৰ কেন্দ্ৰই 'নাগামিজ'ত বাতৰি পৰিবেশন কৰে যদিও শিক্ষিত ডেকা-গাভৰুৱে এই ভাষাত কথা কবলৈ বেয়া পায়। ইয়াৰ কাৰণ হ'ল খ্ৰীষ্টীয়ান মিছনেৰীসকল। যি খ্ৰীষ্টিয়ান মিছনেৰীসকলে ছপাশাল পাতি, প্ৰথম অসমীয়া অভিধান প্ৰণয়ন কৰি,

'অৰুণোদই' প্ৰকাশ কৰি আৰু চৰকাৰৰ বিপক্ষে যুঁজি পঢ়াশালি আৰু আদালতত বঙলা ভাষাৰ সলনি অসমীয়া ভাষা সংস্থাপনৰ অর্থে প্রচুৰ সহায় কৰিছিল, তেনে খ্রীষ্টিয়ান মিছনেৰীসকলেই এতিয়া অসমীয়া ভাষাৰ বৈৰী হৈ পৰিছে। তথাপি বহু অঞ্চলত সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ গুৰুত্ব বহু পৰিমাণে হ্রাস পাইছে বুলি ক'ব নোৱাৰি। সেয়েহে জনসংযোগৰ সকলো উপকৰণ হাতত লৈ তাঁহানিৰ বৰ অসম বা এতিয়াৰ উত্তৰ-পূব ভাৰতৰ বিভিন্নজাতি - উপজাতি আৰু সম্প্রদায়ৰ মাজত সোমাই পৰিবৰ বাবে অসম সাহিত্য সভাৰ প্রচুৰ সুবিধা আছে। অসমৰ বাইজে তথা অসমীয়া বাইজে এই সুবিধাখিনি গ্রহণ কৰি অঞ্চলটোৰ বিভেদকামী শক্তিসমূহক প্রত্যাহ্বান জনোৱা উচিত।

১৯৩৭ চনতে পণ্ডিতপ্রবৰ কৃষ্ণকান্ত সন্দিকৈয়ে অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনত গৈছিল "বেহা-বাণিজ্য, ধর্মপ্রচাৰ আৰু আনকি গান, অভিনয়, কথাছবি আদিও ভাষা প্রচাৰৰ অতি উপযোগী স হায়। দুর্ভাগ্যবশতঃ এইবিলাক বিষয়তআমি পাছ পৰি আছোঁ।"

এতিয়াও এই উক্তি প্রযোজ্য। দুই এজন ধর্মাধিকাৰে জনজাতি আৰু চাহ বনুৱাৰ মাজত শংকৰী ধর্ম প্রচাৰ কৰিছিল। এই ক্ষেত্রত মাজুলিৰ গড়মূৰ সত্রৰ অধিকাৰ প্রয়াত পীতাম্বৰ দেৱগোস্বামীৰ অৰিহণা উল্লেখযোগ্য। এনে কাম চলি আছে বুলি শুনাহে গৈছে। কিন্তু আন ভাষা ব্যৱহাৰ কৰা ধর্ম প্রতিষ্ঠানেহে বেছি কাম কৰি অসমীয়া ভাষাৰ বহুত হানি কৰিছে। এইবোৰ ঠাইৰ মানুহৰ লগত বেহা বেপাৰৰ যোগেদি সম্প্রতি বাণিজ্য-বিমুখ অসমীয়াৰ সংযোগ স্থাপন হোৱা নাই। যিখিনি হৈছে সেয়াও আশানুৰূপ হোৱা নাই। অৱশ্যে সংগীত আৰু অভিনয়ৰ কিছু বৰঙণি আছে। নাট্যাভিনয়ৰ যোগেদি আশানুৰূপ সংযোগ ঘটিছে। এই ক্ষেত্রত ভাওনা আৰু ভ্রাম্যমাণ নাট্যগোষ্ঠীৰ দ্বাৰা মঞ্চস্থ নাটকৰ অৱদান উল্লেখযোগ্য। গুৱাহাটী আৰু ডিব্রুগড়ৰ দূৰদর্শনে এই ক্ষেত্রত বহু বৰঙণি যোগাব পাৰিলেহেঁতেন। কিন্তু স্বজনপ্রীতি আৰু দুর্নীতি চলি থকা বাবে দূৰদর্শনত অসমীয়া তথা উত্তৰ-পূব ভাৰতৰ সংস্কৃতিৰ প্রতিফলন ঘটা নাই। বৰঞ্চ বিকৃত কার্যসূচীৰে দূৰদর্শনে জাতিৰ ৰাজহাড়হে ভাঙিছে। এটা শক্তিশালী ইলে"নিক মাধ্যমৰ এনে বিষম ভূমিকা সঁচাকৈয়ে দুর্ভাগ্যজনক। দূৰদর্শনৰ কুপ্রভাৱৰ ফলত এতিয়া চহৰৰ বহু ডেকা-গাভৰুৱে সংস্কৃতি আৰু অপসংস্কৃতিৰ মাজৰ সীমাৰেখাডাল নেদেখা হৈছে। তদুপৰি নতুন পুৰুষৰ বহুতৰে ভাষা-জ্ঞান আৰু প্রকাশ-ক্ষমতা কমি আহিছে। কিতাপ নপঢ়ি দূৰদর্শনত মগ্ন হ'লে এনে অৱস্থা হয়েই। এই নতুন ধাৰাটো আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বাবে বিপদজনক।

অসমীয়াই যেতিয়া আত্মৰক্ষাৰ কাৰণে যুঁজে আৰু সকলোৰে সৈতে মিলাপ্রীতিৰে থকাৰ অভিযান চলাব খোজে, তেতিয়া আন ৰাজ্যৰ লোকৰ পৰা, মাজে মাজে কেন্দ্রীয় চৰকাৰৰ পৰা আৰু বিশেষকৈ অসমৰ বাহিৰৰ সাংবাদিকৰ পৰা "সংকীর্ণতাবাদী" আখ্যা পায়। তেওঁলোকে প্রচাৰ চলাই আছে যে অসমীয়াৰ অন্ধ জাতীয় প্রেমে অসমখন ভাগ কৰিলে আৰু নিজৰ ৰাজ্যত অসমীয়াক সংখ্যালঘু কৰিলে।

এই অভিযোগ সম্পূর্ণ মিছা। লোকপিয়ল মতে অসমীয়া মানুহ সংখ্যালঘুত পৰিণত হোৱাটো পৰিসংখ্যাগত সত্যহে. প্রকৃত সত্য নহয়। কাৰণ অসমীয়া সাহিত্য-সংস্কৃতিয়ে আত্মীকৰণ প্রক্রিয়াৰ যোগেদি সদায় অনা-অসমীয়াক অসমীয়া কৰি আহিছে। অৱশ্যে সম্প্রতি অসমত সহজে জীণ যাব নোখোজা অনা-অসমীয়া নথকা নহয়— সেয়া আন এটা সমস্যা। তাৰ এটা বিশ্লেষণ হোৱা যুগুত।

অসমীয়াই তিনিটা সমস্যাৰ বিৰুদ্ধে মাত মাতি আহিছে। নিজৰ উগ্র স্বদেশপ্রীতি নাইবা সংকীর্ণতাৰ বাবে নহয়; আত্মৰক্ষাৰ বাবেহে। ভাষা-সমস্যাৰ লগত সমগ্র ভাৰতবাসীয়েই জড়িত। হিন্দী ভাষাৰ সাম্রাজ্যবাদৰ বিৰুদ্ধে অন্য ভাষাভাষী সকলোৰেই থিয় হৈছে। কিন্তু বদনামটো হৈছে অসমীয়াৰহে। অথচ ভাষাভিত্তিক ৰাজ্য হ'ব লাগে বুলি কেন্দ্রীয় চৰকাৰেই নীতি-নিৰূপন কৰিলে। সেইবাবে আনৰ দৰে অসমীয়ায়ো ভাষাৰ হকে সংগ্রাম কৰিব লগীয়া হ'ল। আন হাতেদি ইয়াৰ ফলত বম্বে প্রেছিডেন্সি ভাগি মহাৰাষ্ট্র আৰু গুজৰাট ৰাজ্যত পৰিণত হ'ল। পঞ্জাব ভাগ ভাগ হৈ একোখন সৰু পঞ্জাব, হাৰিয়ানা আৰু হিমাচল প্রদেশ হ'ল। মাদ্রাজ পেছিডেন্সি চাৰিডোখৰ হ'ল: তামিলনাড়ু, অন্ধ্রপ্রদেশ, কর্ণাটকৰ একাংশ আৰু কেৰালাৰ একাংশ।

অসমীয়াভাষী লোকৰ সংখ্যা কমি অহাৰ কাৰণ তিনিটা : (১) বহু-সংখ্যক ভগনীয়াৰ পুনঃ সংস্থাপন, (২) বিদেশীৰ অবাধ প্রব্রজন আৰু (৩) আন ৰাজ্যৰ পৰা অহা মানুহৰ অসমত বসতি স্থাপন।

আমি স্বাধীনতা পালোঁ ঐতিহ্যপূর্ণ ভাৰতক দুভাগ কৰি। জৱাহৰলাল নেহৰু আৰু চর্দাৰ বল্লভভাই পেটেল ধর্মৰ ভিত্তিত

ভাৰতক দুভাগ কৰাৰ পক্ষপাতী নাছিল যদিও মহাত্মা গান্ধীক প্ৰবঞ্চনা কৰি তেওঁৰ কথা আওকাণ কৰি এই দুজন নেতাই ভাৰতক দ্বিখণ্ডিত কৰাত মত দিলে। অৱশ্যে আবুল কালাম আজাদৰ দৰে জাতীয়তাবাদী মুছলমানে ইয়াৰ বিৰোধিতা কৰিছিল। ভাৰত স্বাধীন হ'ল আৰু লগে লগে ভাৰতত পাকিস্তানৰ পৰা অহা অগণন ভগনীয়া মানুহ এটা ডাঙৰ সমস্যা হৈ পৰিল। অসমলৈ অহা ভগনীয়া মানুহৰ পুনঃ সংস্থাপন হ'ল। কিন্তু আন ৰাজ্যই অসমৰ সমান ভগনীয়া গ্ৰহণ নকৰিলে।

পূৰ্বৰ পূব পাকিস্তান আৰু এতিয়াৰ বাংলাদেশৰ পৰা অহৰহ অবৈধ নাগৰিক অসমলৈ আহি আছে। নেপালৰ পৰা আহিছে। ফলত অসমত বিপদজনক ভাবে লোকসংখ্যাৰ চৰিত্ৰ সলনি হৈছে। সেইবাবেই খিলঞ্জীয়া অসমবাসীয়ে অস্তিত্বৰ সংকট দেখা পাই গণসংগ্ৰামত লিপ্ত হোৱাটো প্ৰতিৰক্ষামূলক প্ৰত্যাহ্বানহে, উগ্ৰ জাতীয়তাবাদ বা সংকীৰ্ণতা নহয়। এতিয়া এই অস্তিত্বৰ সংকট অধিক প্ৰকট হৈছে। অথচ তাৰ বাবে আমাৰ ৰাজনৈতিক দলসমূহে অকনো মূৰ ঘমোৱা নাই। এই দলসমূহে আত্মঘাতী পথহে বাছি লৈছে। কাৰণ ভোটাৰ তালিকাত বহু বিদেশীৰ নাম আছে বুলি এই বাবেই ক'ব পাৰি যে ১৯৭১ আৰু ১৯৯১ চনৰ ভিতৰত অসমৰ জনসংখ্যা বাঢ়িলে শতকৰা ৫২.৪৪ ভাগ, ভোটাৰৰ সংখ্যা বাঢ়িল শতকৰা ৮৮ ভাগ। সেইদৰে ১৯৬১ আৰু ১৯৯১ চনৰ ভিতৰত জনসংখ্যা বাঢ়িল শতকৰা ১০৫ ভাগ আৰু ভোটাৰৰ সংখ্যা বাঢ়িল শতকৰা ১৪০ ভাগ। অন্য এটা ভয়াবহ দিশ এইটোৱেই যে কেন্দ্ৰীয় চৰকাৰে বিদেশী খেদিব নোৱাৰা আইনহে প্ৰণয়ন কৰিছে, অসমৰ মানুহৰ সবল দাবী সত্ত্বেও এনে আইন তুলি লোৱা হোৱা নাই।

ভাৰতীয় সংবিধানখনে বৃহৎ জাতিসমূহৰহে উপকাৰ সাধিছে আৰু অসমীয়া, অৰুণাচলী, মিজো, নগা, মনিপুৰী আদি ক্ষুদ্ৰ জাতিৰ বিকাশত বাধাহে দিছে। আচলতে ৰাষ্ট্ৰৰ সংবিধানখন ভাৰতৰ অধিকাংশ নাগৰিকৰ কাৰণে অনুপযুক্ত হৈ পৰিছে। গতিকে সৰু সৰু জাতিয়ে আপোন অস্তিত্ব আৰু বিকাশৰ বাবে যুঁজি দাবী সাব্যস্ত কৰাটো স্বাভাবিক। ইয়াত সংকীৰ্ণতাৰ প্ৰশ্ন উঠিবই নোৱাৰে। আন হাতেদি ভাৰতৰ বৃহৎ জাতিকেইটামানৰ আনৰ ওপৰত ভাষা-সংস্কৃতি জাপি দিয়াৰ সংকীৰ্ণতাহে আধুনিক ভাৰতত ক্ৰমাৎ স্পষ্ট হৈ পৰিছে। সকলোৱে বুজা উচিত যে বৈচিত্ৰ্যক সন্মান জনাব'লৈ হলে বৈচিত্ৰ্যৰ মাজৰ ঐক্য স্থাপন কৰাটো অতিশয় প্ৰয়োজনীয় হৈ পৰে। তাকে কোনেও কৰা নাই। ইয়াৰ বাবে অসম [illegible] সভাই আগ ভাগ লোৱা উচিত। কাৰণ অসমৰ কাৰণে সুকীয়া এখন আইন কাৰ্যকৰী কৰাৰ সময় আহি পৰিছে। বৃহৎ জাতিসমূহে যাতে ক্ষুদ্ৰ জাতিসমূহক আৰু সাংস্কৃতিক বৈশিষ্ট্যক ম্ৰিয়মাণ কৰিব নোৱাৰে, তাৰ বাবে সাংবিধানিক ব্যবস্থা আছে। এনে আইনৰ যোগেদি আন্তঃৰাজ্যিক প্ৰব্ৰজন নিয়ন্ত্ৰিত কৰিব পৰা হয়। তাৰ বাবে ঐক্যবদ্ধ সবল দাবীৰ প্ৰয়োজন।

অসমবাসীৰ কাৰণে এতিয়া ঘাইকৈ দক্ষ আৰু জনমুখী প্ৰশাসনৰ প্ৰয়োজন হৈছে। প্ৰশাসনত অসমীয়া ভাষাৰ যথাযথ প্ৰয়োগ হোৱা নাই। তদুপৰি ইয়াৰ সৰলীকৰণ প্ৰয়োজনীয় হৈছে। বিভাগীয় প্ৰাথমিক নিয়মসমূহো এতিয়ালৈকে অসমীয়ালৈ অনূদিত হোৱা নাই। আয়-ব্যয়ৰ হিচাপৰ নিয়ম-কানুনবোৰো জটিল কৰি ৰখা হৈছে। তদুপৰি প্ৰশাসনক অসমৰ জাতীয় সত্তাৰ ওপৰত প্ৰতিষ্ঠিত কৰা উচিত। তাৰ বাবে বিভাগীয় মুৰব্বীসকল খিলঞ্জীয়া লোক হোৱা উচিত। সচিব পৰ্যায়ৰ পদসমূহৰ শতকৰা পঁচিছ ভাগহে ভাৰতীয় প্ৰশাসনীয় সেৱাৰ লোকৰ দ্বাৰা পূৰণ কৰা উচিত।

জাতি গঠনৰ প্ৰক্ৰিয়াত বিশ্ববিদ্যালয়ৰ অৱদান অতুলনীয়। অসমত এতিয়ালৈকে পাঁচখন বিশ্ববিদ্যালয় আছে। শিলচৰত অৱস্থিত আঞ্চলিক অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু গুৱাহাটীত অৱস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা সংস্থা (Indian Institute of Technology) ও একোখন বিশ্ববিদ্যালয়েই। মুঠতে অসমত সাতখন বিশ্ববিদ্যালয়ে জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰ্চাৰ দিগন্ত বিস্তাৰিত কৰিছে। নতুন ঔদ্যোগিক বাতাবৰণৰ এই বিশ্ববিদ্যালয়সমূহে সমাজৰ প্ৰয়োজনীয় নতুন প্ৰজন্ম এটা সৃষ্টি কৰিব বুলি আশা কৰিব পাৰি। কাৰণ দেশত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতি সদায় অব্যাহত থাকিব আৰু উৎপাদনৰ পদ্ধতিসমূহো সলনি হৈ থাকিব। সেইবাবেই নতুন প্ৰযুক্তি কৌশল জনা লোকৰ প্ৰয়োজন হৈ থাকিব। সম্প্ৰতি অসমত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু দুখন কাৰিকৰী বিশ্ববিদ্যালয়ে (আঞ্চলিক অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু ভাৰতীয় প্ৰযুক্তিবিদ্যা সংস্থা) নতুন যুগত নতুন নতুন মানুহ সৃষ্টি কৰাৰ প্ৰতিশ্ৰুতি বহন কৰিছে। তেজপুৰ বিশ্ববিদ্যালয়ে কেবাটাও নতুন বিষয়ত পাঠদান কৰি অসমৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থানৰ সুবিধা কৰি দিছে। এই বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ পাঠ্যক্ৰম এনেকৈ প্ৰস্তুত কৰা হৈছে যে সেই বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰো কৰ্মসংস্থান সহজে হ'ব পাৰে।

আচলতে আমাৰ বিশ্ববিদ্যালয়সমূহে জ্ঞান দানৰ গতানুগতিকতা বিসৰ্জন দিবৰ সময় আহি পৰিছে। আৰু পাঁচ বছৰৰ

পিছত আমি একৈছ শতিকাত ভৰি দিম। তাৰ বাবে আমাৰ দ্রুত প্রস্তুতিৰ প্রয়োজনীয় হৈ পৰিছে। কাৰণ নিকট ভৱিষ্যতৰ সমাজখনৰ মূল উপাদান হ'ব বিজ্ঞান আৰু প্রযুক্তিবিদ্যা; নব শিল্পায়ন আৰু নতুন প্রকাৰৰ ব্যৱসায়-বাণিজ্য। এই উপাদানসমূহৰ লগত আমি নিজকে মিলাই ল'ব নোৱাৰিলে আমাৰ মহান ঐতিহ্য আৰু সাহিত্য-সংস্কৃতিয়ে আমাক ৰক্ষা কৰিব নোৱাৰিব। এয়ে হ'ল নিকট ভাৱষ্যতৰ নিষ্ঠুৰ সত্য। সেয়েহে জাতীয় সত্তাক সুদৃঢ় কৰিবৰ বাবে অসম সাহিত্য সভাৰ এই ঐতিহ্যপূর্ণ মঞ্চৰ পৰা আহ্বান জনাইছোঁ, অসমৰ অতি মৰমৰ যুৱক-যুৱতীসকল, আপোনালোকে অবাবত শক্তিৰ অপচয় নকৰি জ্ঞান-বিজ্ঞানৰ নতুন ধাৰাৰ লগত মিলি গৈ অধ্যৱসায়ী হৈ জাতীয়তাৰ ভিত্তি সুদৃঢ় কৰক, কর্মযজ্ঞৰে দুখুনী অসমী আইৰ চকুলো মচি দিয়ক আৰু লগতে দলেবলে অসম সাহিত্য সভাত যোগ দি নতুন তেজেৰে ইয়াৰ কায়কল্প-চিকিৎসা কৰক। মনত ৰাখিব, কর্ম-সংস্কৃতি অবিহনে এটা জাতিয়ে বিজ্ঞান-প্রযুক্তিবিদ্যাৰ সংস্কৃতিও মাতি আনিব নোৱাৰিব আৰু সাহিত্য-সংস্কৃতিও বজাই ৰাখিব নোৱাৰিব।

বিশ্ববিদ্যালয়সমূহৰ প্রতি পোষণ কৰা আশা, দুৰাশা হৈ থাকিব যদিহে শিক্ষাৰ গুণগত মানবৈশিষ্ট্যৰ ওপৰত গুৰুত্ব দিয়া নহয়। যুগৰ লগত খাপ খোৱা বিশেষ মানবৈশিষ্ট্যৰ ওপৰত গুৰুত্ব দি সম্প্রতি গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ লগতে কেন্দ্রীয় বিশ্ববিদ্যালয় দুখনেও জ্ঞান-বিজ্ঞানৰ বিভিন্ন শাখাৰ অধ্যয়নসমূহৰ থুলমুল আভাস ইংৰাজী আৰু অসমীয়া ভাষাত প্রকাশ কৰাৰ প্রয়োজন। অসমৰ সমাজ-বিজ্ঞানৰ অধ্যয়ন আৰু গৱেষণা বিস্তৃতভাৱে হোৱা উচিত। অৱশ্যে বৌদ্ধিক চর্চাৰ ক্ষেত্রত অসম সাহিত্য সভায়ো আগ ভাগ নল'লে ই জনসমাজৰ স্বীকৃতি হেৰুৱাই পেলাব পাৰে। গতিকে অসম সাহিত্য সভাই বিদ্যায়তনিক নেতৃত্ব দিয়াৰ প্রয়োজন। সভাই পোনতে অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীৰ বিভিন্ন পর্যায় নির্ভৰযোগ্য তথ্যৰ ভিত্তিত প্রকাশ কৰিবলৈ ব্যৱস্থা হাতত লোৱা উচিত।

অকল এয়ে নহয়। অসমৰ ৰাইজে অসম সাহিত্য সভাৰ পৰা বহুত আশা কৰিছে। অসম সাহিত্য সভাই উত্তৰ-পূর্বাঞ্চলৰ সকলো ভাষাভাষীৰ নেতৃত্ব দিব লাগিব। সম্প্রতি এই বৃহৎ ভূখণ্ডত সংস্কৃতিত বাদে গৌৰব কৰিব লগীয়া বিষয় আন একো নাই। ধনবল, ব্যৱসায়-বাণিজ্য, আৰু উদ্যোগ আছে আনৰ হাততহে। ইয়াত অর্থনৈতিক উন্নয়ন ঘটাৰো সম্ভাবনা কম। কিন্তু সাস্কৃতিক ঐক্যই অঞ্চলটোক বলিয়ান কৰিব পাৰে। সেয়েহে উত্তৰ-পূর্বঞ্চলৰ ৰাজ্যকেইখনে অসমবাসী আৰু অসম সাহিত্য সভাৰ সহযোগ বিচাৰিছে। তদুপৰি এই ৰাজ্যকেইখন উত্তৰ- পূব ভৰতৰ ভাষা সাহিত্য-সংস্কৃতিৰ কেন্দ্র হ'লেহে অঞ্চলটোৰ সামগ্রিক সাংস্কৃতিক বিকাশ ঘটাবলৈ সুবিধা। তেওঁলোকে অসম সাহিত্য সভাই ইয়াৰ নেতৃত্ব লোৱাটো বাঞ্ছা কৰে। এয়া অসম সাহিত্য সভাৰ ইচ্ছাপ্রসূত ধাৰণা নহয়, এক অভিজ্ঞতালব্ধ সত্যহে। সম্প্রতি ত্রিপুৰাৰ বাংলাভাষী লোকৰো এয়ে মত। তেওঁলোকৰ কাৰণে এতিয়া কলিকতাতকৈ গুৱাহাটীহে বেছি আপোন। ত্রিপুৰা বিশ্ববিদ্যালয়ত এতিয়া অসমীয়া ভাষাৰ চর্চা হৈছে আৰু অনুদিত অসমীয়া উপন্যাস বাংলা বিভাগৰ স্নাতকোত্তৰ শ্রেণীৰ পাঠ্যক্রমত অন্তর্ভুক্ত হৈছে।

কিন্তু এনে নেতৃত্ব দিয়াৰ বাবে অসম সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্যক সুদৃঢ় ভিত্তিত প্রতিষ্ঠিত কৰিবলৈ নিজাববীয়া প্রচেষ্টা চলাই থাকিব লাগিব। অসমীয়া ভাষাৰ ভিত্তি অদ্যাপি দৃঢ় নহয়। অসমীয়া ভাষাৰ গাঁথনিৰ ক্ষেত্রত এতিয়াও ঐক্যমতৰ সৃষ্টি হোৱা নাই। তদুপৰি একোখন পূর্ণাঙ্গ অভিধান, সমার্থবোধক শব্দকোষ আৰু বিশ্বকোষৰ অভাব। বিশ্বৰ মহৎ গ্রন্থসমূহৰ অসমীয়া ভাষালৈ অনুবাদ হোৱা নাই বুলিয়েই কব পাৰি। অতি পৰিতাপৰ কথা যে এনে কামত আশাশুধীয়া প্রচেষ্টাৰ অভাব দেখা গৈছে। এইবোৰ বিষয়ত অসম সাহিত্য সভাই বিশেষ গুৰুত্ব আৰোপ কৰা উচিত। অসমীয়া ভাষা-সাহিত্যৰ গৌৰৱপূর্ণ ঐতিহ্য আছে যদিও ইয়াৰ জৰিয়তে আধুনিক জ্ঞান-বিজ্ঞানৰ সন্ধান পাব নোৱাৰি।

লক্ষ্মীনাথ বেজবৰুৱা, বেণুধৰ শর্মা, সত্যেন বৰকটকী, দেবেন্দ্র নাথ আচার্য প্রভৃতি সাহিত্যিকে থলুৱা প্রকাশভংগী ব্যৱহাৰ কৰি অসমীয়া সাহিত্যৰ যথেষ্ট শ্রীবৃদ্ধি সাধন কৰিলে। পিছে দুখৰ বিষয় যে তেখেতসকলৰ পদাংক অনুসৰণ কৰা লেখক-লেখিকাৰ সংখ্যা এতিয়া ক্রমে টুটি আহিছে আৰু তাৰ ফলস্বৰূপে বহুত থলুৱা মাত-কথাৰ বিলুপ্তি ঘটিছে।

জনজাতিসকলৰ মাতৃভাষাৰ বহু শব্দই অসমীয়া ভাষাত ঠাই পোৱাত ইয়াৰ প্রকাশিকা শক্তি বাঢ়িছে। বেহা-বেপাৰ আৰু সাংস্কৃতিক বিনিময়ৰ যোগেদি অসমীয়া মানুহ তেওঁলোকৰ মাজত সোমাই পৰিলে পাৰস্পৰিকভাৱে শব্দ গ্রহণৰ ফলত সংহতি স্থাপনৰ উপৰিও অসমীয়া আৰু জনজাতীয় ভাষাসমূহ সমৃদ্ধ হ'ব। ইয়াৰ উদ্দেশ্যে অসম সাহিত্য সভাই বিশেষ কার্যসূচী হাতত লোৱা উচিত। অঞ্চল বিশেষত জনজাতিসকলৰ মাতৃ ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ ক্ষেত্রত সভাই উদাৰ দৃষ্টিভংগী গ্রহণ কৰা

প্রয়োজন। সভাই অসমীয়া ভাষাৰ উল্লেখযোগ্য পুথিসমূহ খিলঞ্জীয়া অধিবাসীসকলৰ ভাষালৈ অনুবাদ কৰাৰ প্ৰকৃত সময় আহি পৰিছে।

অসমত স্বৰূপতে প্ৰত্নতাত্ত্বিক গৱেষণা আৰু সংৰক্ষণ হোৱা নাই। বহুতো প্ৰত্নতাত্ত্বিক সম্পদ অৱহেলাত উবলি পৰিবলৈ ধৰিছে আৰু বহুতো সম্পদ উদ্ধাৰ হোৱা নাই। গতিকে এই বিভাগটো কেন্দ্ৰৰ পৰা ৰাজ্যিক চৰকাৰৰ হাতলৈ স্থানান্তৰিত কৰিবৰ বাবে অসম সাহিত্য সভাই সবলভাৱে দাবী উত্থাপন কৰা উচিত।

অসম সাহিত্য সভাৰ অধিবেশনসমূহ মেলামুখী হোৱাৰ বাবে বিভিন্ন জনে বিভিন্ন মত প্ৰকাশ কৰি আহিছে। সেইবাবে হেনো বহু ধনৰ অপচয় হৈছে। পিছে অসম সাহিত্য সভাক কেন্দ্ৰ কৰি যদি আন ক'তো নোহোৱাবিধৰ এখন বৃহৎ মেলা হয়, তাকে লৈ হুৱাদুৱা লগোৱাৰ বিশেষ কাৰণ বিচাৰি পোৱা নাযায়। আমি বিচাৰোঁ বা নিবিচাৰোঁ, তাতে কোনো ভ্ৰুক্ষেপ নকৰাকৈ অসম সাহিত্য সভাৰ অধিবেশন এখন অগনন ৰাইজৰ মেলা হৈ পৰিবই— ৰাইজৰ ইয়াৰ প্ৰতি অকুণ্ঠ প্ৰীতিসূচক সমৰ্থন আছে কাৰণেই। জনতাৰ এনে অপূৰ্ব সমাবেশ স্বৰূপতে অপ্ৰতিৰোধ্য। ই অসমবাসীৰ মহত্ত্বৰ চিনাকিহে, ৰাইজে জাতিটোক ভাল পোৱাৰ চিনাকিহে। গতিকে ৰাইজৰ ইচ্ছাৰ সৌতক বালিৰ ভেটাৰে ৰোধ কৰিব নোৱাৰি। অসম সাহিত্য সভাৰ দৰে অসমীয়া জাতিৰ মৰ্মস্থানত আসন অধিকাৰ কৰিব পৰা এটা সংগঠনে যেনিবা কেইলাখমান টকা খৰচ কৰিলেই, তাৰ বাবে ৰাজ্যখনৰ কি হানি-বিঘিনি হ'ল বা হ'ব? অথচ উন্নয়ন আঁচনি কাৰ্যকৰী কৰাৰ নামত ৰাজ্যখনত বছৰি কোটি কোটি টকা আত্মসাৎ কৰা হয়।

অৱশ্যে আমি মনত ৰখা উচিত হ'ব যে জনসমৰ্থন আছে কাৰণেই অসম সাহিত্য সভা আত্মসন্তুষ্ট হোৱা অনুচিত। ভ্ৰষ্টাচাৰৰ পৰা আৰ্থ-সামাজিক বৈষম্যলৈকে অসমৰ সকলো সমস্যাৰ প্ৰতি সচেতন হৈ আৰু অসমৰ মানুহ, অসমীয়া সমাজ আৰু চৰকাৰৰ দোষ-ত্ৰুটি আৰু সীমাবদ্ধতাৰ নিৰ্মোহ মূল্যাংকন কৰি কামত আগ বাঢ়ি যাব লাগিব। অসম সাহিত্য সভাই জনগণক জগাই তুলিব লাগিব; বৰ্ণাঢ্য সংস্কৃতি আৰু অনুপম সাহিত্যৰে চহকী এটা জাতিক পৰিকল্পিতভাৱে বিলুপ্ত কৰাৰ হীন প্ৰচেষ্টাক বিফল কৰিব লাগিব, ন্যস্ত স্বাৰ্থৰ অভিসন্ধি খৰ্ব কৰিব লাগিব।

আমাৰ নিজৰ মাজতে বহু বেমেজালি চলি আছে। এই বেমেজালিবোৰ দূৰ কৰিব পাৰিলে অসম সাহিত্য সভা অধিক সক্ৰিয় হ'ব লাগিব। সম্প্ৰতি ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহৰ খুব চাহিদা বাঢ়িছে বাবে এনে বিদ্যালয়ৰ সংখ্যাও দিনে দিনে বাঢ়ি আহিছে। অৱশ্যে এনেকুৱা সকলো বিদ্যালয়ৰ শিক্ষা আশানুৰূপ নহয়। তথাপি পিতৃ মাতৃয়ে নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়িবলৈ দিয়াটোহে আৱশ্যকীয় বুলি ভাবে। কিন্তু তাত শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ বিষয়জ্ঞান যেনেকুৱাই নহওক লাগে, তেওঁলোকক আমি অসমীয়া কিতাপৰ পঢ়ুৱৈ হিচাপে হেৰুৱাইছোঁ। এনে শিক্ষাক বিজাতীয়া শিক্ষা বুলিও ক'ব পাৰি। কাৰণ এই শিক্ষা পোৱা ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ খবৰ নেৰাখে আৰু মাতৃভাষাটোও শুদ্ধকৈ ক'ব নোৱাৰে। জনসংখ্যা আৰু শিক্ষিতৰ সংখ্যা বাঢ়ি থকা সত্ত্বেও অসমীয়া সাহিত্যৰ পঢ়ুৱৈৰ সংখ্যা সেই অনুপাতে নবঢ়াৰ ইয়ো এটা কাৰণ। কিন্তু এই সমস্যাৰো সমাধান নথকা নহয়। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নিজৰ সন্তানক শিক্ষা লাভ কৰিবলৈ পঠিওৱা পিতৃ-মাতৃসকলক পাশ্চাত্য সংস্কৃতিৰ প্ৰতি অনুৰাগী আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতি বীতশ্ৰদ্ধ বুলি ক'ব নোৱাৰি। তেওঁলোকৰ বহুতেই এই কাম কৰিবলৈ বাধ্য হৈছে। কাৰণ অসমীয়া মাধ্যমৰ স্কুলসমূহৰ অৱস্থা দিনে দিনে বেয়াৰ ফালেহে ঢাল খাইছে। বেছি ভাগ অসমীয়া মাধ্যমৰ বিদ্যালয়ত গুণী শিক্ষকৰ অভাৱ। ইয়াৰ কাৰণ হ'ল নিযুক্তিত দুৰ্নীতি। পাঠ্যক্ৰমো আধুনিক জগতৰ লগত খাপ খোৱা বিধৰ নহয় আৰু পাঠ্যপুথিটো বাৰেপাচি ভুল। তদুপৰি এই বিদ্যালয়সমূহ সুচাৰুৰূপে পৰিচালিত নহয়। শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে অনুশাসন মানি নচলাৰ দৃষ্টান্তও প্ৰচুৰ। এনেবোৰ বেমেজালি ঘটি আছে যদিও প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰৰ অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহত অজস্ৰ টকা খৰচ হয়। আন হাতেদি ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ পৰা বহু ধন আদায় কৰি মাছৰ তেলেৰে মাছ ভাজে। সেয়েহে নিৰ্দ্বিধাদে ক'ব পাৰি যে চৰকাৰী সাহায্যত চলা অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ অধিকাংশেই জাতিটোৰ ক্ষতি কৰিছে। সেয়েহে অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানে এই মুমূৰ্ষ বিদ্যালয়সমূহক সুষ্ঠু পৰিচালনা, অৰ্হতাসম্পন্ন শিক্ষক-শিক্ষয়িত্ৰী আৰু নিৰ্ভুল সময়োপযোগী পাঠ্যপুথিৰ যোগেদি পুনৰুজ্জীবিত কৰিবৰ বাবে চৰকাৰক আৰু শিক্ষা পৰিষদসমূহক প্ৰবল চাপ দিয়া উচিত। অসম সাহিত্য সভাই পোনতে এখন বিশেষজ্ঞৰে গঠিত উপসমিতিৰ যোগেদি একাংশ পাঠ্যপুথিৰ ভুলবোৰ আঙুলিয়াই দি ৰাইজ আৰু কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা উচিত। অপৰিকল্পিত পাঠ্যক্ৰমৰ বিষয়েও সভাই অচিৰে এখন আলোচনাচক্ৰ পতা উচিত।

পোনতে অসম সাহিত্য সভায়েই পাঠ্যক্রমৰ উৎকৰ্ষ সাধন আৰু ভ্ৰান্তিমুক্ত পাঠ্যপুথিৰ দাবী উত্থাপন কৰা উচিত। কাৰণ অসমত শিক্ষা জগতৰ অৰাজকতা সম্প্ৰতি জাতিটোৰ এটা জীৱন-মৰণৰ প্ৰশ্ন হৈ পৰিছে। অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহত আশানুৰূপ সংস্কাৰ-সাধন হ'লে অসমীয়া সাহিত্যই বুজন সংখ্যাৰ পঢ়ুৱৈ হেৰুৱাব নেলাগিব বুলি বহুতে আশা পোষণ কৰিছে।

অসমীয়া মানুহে কিতাপ কম পঢ়ে বুলিএটা অপযশ আছে। ইয়াৰো কাৰণ নোহোৱা নহয়। ইলেকট্ৰনিক মাধ্যমে পঢ়ুৱৈৰ সংখ্যা কমাইছে বুলি মাজে মাজে কোনো কোনোৱে মন্তব্য কৰে যদিও পছিমীয়া উন্নত দেশসমূহ আৰু ভাৰতৰ পশ্চিম বংগ, কেৰেলা প্ৰভৃতি ৰাজ্যই প্ৰমাণ কৰিছে যে এই অনুমান সত্য নহয়। ইলেকট্ৰনিক মাধ্যমে খবৰহে দিয়ে, মনৰ খোৰাক দিব নোৱাৰে। সেয়েহে গ্ৰন্থই হ'ল সৰ্বশ্ৰেষ্ঠ মাধ্যম। মানুহৰ গ্ৰন্থপ্ৰীতি বঢ়াবৰ বাবে নতুন উদ্ভাৱন হ'ল গ্ৰন্থমেলা। কিন্তু গুৱাহাটী,যোৰহাট, শিৱসাগৰ প্ৰভৃতি ঠাইৰ গ্ৰন্থমেলাত মানুহৰ সমাগমে প্ৰমাণ কৰিছে যে হিন্দীভাষী, বাংলাভাষী আদি ঠাইৰ গ্ৰন্থমেলাত মানুহৰ সমাগম বহুত বেছি। অসমৰ মানুহৰ গ্ৰন্থমেলাৰ প্ৰতি সঁহাৰি যথেষ্ট কম। সেয়েহে অসমত কিতাপ পঢ়াৰ আন্দোলন এটাৰ প্ৰয়োজন হৈ পৰিছে। এনে আন্দোলনে সাক্ষৰতা অভিযানত সহায় কৰিব। আমি মনত ৰাখিব লাগিব যে সম্প্ৰতি চৰকাৰে অজস্ৰ ধন ব্যয় কৰি চলাই থকা সাক্ষৰতা অভিযান সফল হ'লেও পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি হব। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক জনসাধাৰণৰ মাজত সদৰী কৰিবৰ অৰ্থে ভাৰততে কেবাটাও সংগঠনে কাম কৰি আছে। সংগঠনসমূহে সংযোগ আৰু সমন্বয়ৰ যোগেদি পোনতে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সেয়েহে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক লোকপ্ৰিয় কৰি তোলাই সংগঠনসমূহৰ মুখ্য উদ্দেশ্য যদিও অন্যান্য বিষয়ৰ কিতাপো প্ৰকাশ কৰিছে। এই কামত বিজ্ঞান আৰু ঔগ্যোগিক গৱেষণা পৰিষদৰ অন্তৰ্ভুক্ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা আৰু উন্নয়নৰ ৰাষ্ট্ৰীয় সংস্থাই নেতৃত্ব লৈছে। ইয়াৰ এগৰাকী বিষয়া ড° দীনেশ এৰলে জানিবলৈ দিছে যে সংস্থাই অসম সাহিত্য সভাকো কিতাপ পঢ়া আন্দোলনৰ অংশীদাৰ কৰিব খোজে। অসম বিজ্ঞান সমিতিয়ো এই কিতাপ পঢ়া আন্দোলনৰ লগ লাগি ভালেমান উল্লেখযোগ্য কাম কৰিছে। ইয়াৰ জ্ঞান বিজ্ঞান সমিতিয়ে নৱসাক্ষৰসকলৰ বাবে বিভিন্নবিষয়ৰ কিতাপ প্ৰকাশকৰাৰ কাম হাতত লৈছে আৰু অসম সাহিত্য সভাকো এই কামত জড়িত কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। এই আন্দোলনৰ প্ৰধান উদ্দেশ্যে হ'ল সমাজ খনত কিতাপ পঢ়াৰ পৰিবেশ এটা সৃষ্টি কৰা আৰু গাঁও পৰ্যায়ত গণচেতনা কেন্দ্ৰ স্থাপন কৰাৰ যোগেদি একোটা পুথিভঁৰাল স্থাপন কৰা। সৰ্বভাৰতীয় এই কিতাপ পঢ়া আন্দোলনটোৰ আচ ল নামটো বৰ মনোগ্ৰাহী— বুক ভয়েজ অৰ্থাৎ অধ্যয়ন-অভিযান বা গ্ৰন্থ-অভিযান।

পাঠ্যাভ্যাস গঢ়ি নুঠাটোৱেই অসমীয়া ভাষাত খুব কম সংখ্যক কিতাপ বিক্ৰী হোৱাৰ একমাত্ৰ কাৰণ নহয়। সৃষ্টি ধৰ্মী সাহিত্যত বিষয়বস্তুৰ বৈচিত্ৰ্যহীনতা, জ্ঞান-বিজ্ঞানৰ সকলো শাখাৰ কিতাপৰ অভাৱ আৰু গ্ৰন্থাগাৰ আন্দোলনৰ অনুপস্থিতিয়েও অসমীয়া কিতাপৰ বজাৰখন সংকুচিত কৰিছে। আমাৰ বুদ্ধিজীবী সকলে এই কথাটো লৈ মনোযোগ দিয়া উচিত।

গ্ৰন্থ-প্ৰকাশকসকলৰ পৰা বিভিন্ন ৰুচিৰ বহু সংখ্যক কিতাপ পাবলৈ হ'লে গাঁৱে-ভূঞে, নগৰে-চহৰে বহু সংখ্যক পুথভঁৰাল থকা উচিত। কিতাপৰ দাম এনেকৈ দিনে দিনে বাঢ়ি গৈছে যে বহুতে কিতাপ কিনিব নোৱাৰা হৈছে। এনে এক প্ৰতিকূল পৰিস্থিতিত পুথিভঁৰালেহে পঢ়ুৱৈৰ মনৰ খোৰাক যোগাব পাৰে। কিন্তু অসমত অতি কম সংখ্যক পুথিভঁৰালৰ অতি দুখ লগা অৱস্থা। আনকি গুৱাহাটীৰ দৰে মহানগৰীৰ জিলা পুথি ভঁৰালতো সদ্য প্ৰকাশিত কিতাপ বিচাৰি পোৱা নাযায়। সাক্ষৰ লোকৰ সংখ্যা অনুসৰি পুথিভঁৰালৰ সংখ্যা নিচেই কম। ৰাইজে মিলি পুথিভঁৰাল স্থাপন কৰাৰ দৃষ্টান্ত বিৰল। আনহাতেদি চুবুৰীয়া ৰাজ্য পশ্চিমবংগত চৰকাৰে বহু হেজাৰ পুথিভঁৰাললৈ আৰ্থিক সাহায্য দিয়ে আৰু তাত ৰাইজে প্ৰতিষ্ঠা কৰা পুথিভঁৰালৰ সংখ্যাও যথেষ্ট। সেয়েহে এখন বাংলা ভাষাৰ কিতাপ কেৰল পুথিভঁৰাল সমূহে কিনি ল'লেই প্ৰকাশকজন লাভবান হ'ব পাৰে। কিতাপৰ মূল্য বৃদ্ধি স্বত্বেও পশ্চিম বংগত গ্ৰন্থ-প্ৰকাশনে এক লাভজনক ব্যৱসায় হিচাপে গঢ় লোৱাৰ মূল কাৰণ হ'ল গ্ৰন্থাগাৰ আন্দোলন। অসমতো তেনে আন্দোলনৰ অতি প্ৰয়োজন হৈ পৰিছে।

অসমৰ কেবা ঠাইতো আজি-কালি গ্ৰন্থমেলা অনুষ্ঠিত হয়। ইও একপ্ৰকাৰ কিতাপ পঢ়া আন্দোলন বুলিয়েই কব পাৰি কিন্তু গ্ৰন্থমেলা সমূহত উলহ-মালহ আৰু কিতাপৰ বিক্ৰী বহুবি বাঢ়ি যোৱা নাই। গতিকে অসমত অধ্যয়ন প্ৰীতি বঢ়া নাই যেন লাগে। ই এটা জাতিৰ অভ্যুত্থানৰ লক্ষণ নহয়।

অৱশ্যে আমাৰ লেখক-লেখিকাসকল আৰু ভাষা-সাহিত্যপ্ৰেমীসকল যদি একগোট হয় আৰু গণচেতনাৰে সমৃদ্ধ হৈ যদি চিৰ চেনেহী ভাষা জননীৰ সেৱা কৰিবলৈ কৃতসংকল্প হয়, তেন্তে এই সকলো সমস্যা আৰু অন্তৰায় অচিৰে দূৰ হবই। জাতিটোক

এতিয়া অতি প্রয়োজন হৈ পৰিছে দুটা গুণৰ। অধ্যবসায় আৰু কৰ্ম-সংস্কৃতিৰ। এই দুটা গুণৰ যোগেদি অসম শক্তিশালী হোৱাৰ পৰম্পৰা নোহোৱা নহয়। এতিয়া অসমীয়াই যুগৰ সন্ধিক্ষণৰ সম্মুখীন হৈ জাতিৰ ক্ষয়িষ্ণু স্থিতিক প্রত্যাহ্বান জনোৱাৰ সময় আহি পৰিছে। ইয়াৰ বাবে আমি নৈৰাশ্যৰ ক্লীৱত্ব বিসর্জন দিব লাগিব আৰু অসমকেশৰী আম্বিকাগিৰী বায়চৌধুৰীৰ দৰে "পর্বত-ভৈয়ামৰ বহল আকাশ বিদীর্ণ কৰি সমকণ্ঠেৰে" আগবাঢ়িব লাগিব —

কর্মবিমুখ এলেহুৱাৰ ওফন্দনিত ভৰি থকা
ভেম-ভাগুৰ অপসর্জনাত
কর্মধাৰাৰ দীপ্ত শিখা জ্বলাই দে জ্বলাই দে—
কুটিলতাৰ, প্রতাৰণাৰ, অসততাৰ ভণ্ডামিবোৰ,
ফাকি-ফুকাৰ জঠৰতা
নির্ভীকতাৰ হাফৰ-মুখত গলাই দে গলাই দে —
তোৰ সৎ সাহিত্য, নৃত্য-গীতৰ বিদ্যুৎ-উজল ভংগী ঠাতত
ধোদকুলীয়া অংগবোৰত
নতুনজীৱন, নৱোৎসাহৰ প্রচণ্ডতম কর্মধাৰা চলাই দে চলাই দে।

হে পৰমেশ্বৰৰূপী ৰাইজ, আপোনাসৱৰ এই মহাসভাত এনে সাগৰ সংকাশ ৰূপ দেখি বিস্মিত হৈছোঁ, অভিভূত হৈছোঁ, অনুপ্রাণিত হৈছোঁ। এই অভাজনৰ ভাগ্যত যেন বিশ্বৰূপ দর্শনহে ঘটিছে। ধন্য হৈছোঁ। মনৰ দীনতা-হীনতা ক্ষন্তেকলৈ হ'লেও বিসর্জন দি ভাবিছোঁ, অসমৰ আয়তন আৰু অসমীয়া ভাষা প্রহণ কৰা লোকৰ সংখ্যা কম যদিও আমি সোণালী ভৱিষ্যৎ ৰচনা কৰিব নোৱাৰিম কিয়? ফিন্‌লেণ্ড, পোলেণ্ড, ডেন্‌মার্ক আদিৰ আয়তন আৰু লোক সংখ্যা আমাতকৈ কম হোৱা সত্ত্বেও সেইবোৰ দেশৰ ভাষা-সাহিত্যই বিশ্ব-দৰবাৰত স্থান পাইছে। ইয়াৰ কাৰণ কেইটা হ'ল, পূর্ণ সাক্ষৰতা, মাতৃভাষাৰ মাধ্যমত শিক্ষানুষ্ঠানৰ সকলো স্তৰতে শিক্ষাদান, এখন গতিশীল সমাজ আৰু প্রযুক্তিবিদ্যাৰ প্রয়োগৰ যোগেদি ঘটা আর্থিক প্রগতি। এনেকুৱা আৰু দেশ আছে। যেনে, দক্ষিণ কোৰিয়া, ছিংগাপুৰ, হংকং, ইণ্ডোনেচিয়া ইত্যাদি। গতিকে আমি পিছ পৰি থাকিম কিয়? কর্ম-সংস্কৃতিৰে আমি দেশক গঢ়িব পাৰিম আৰু আমাৰ ভাষা-সাহিত্য-সংস্কৃতিকো নকৈ গঢ় দিব পাৰিম বুলি এই অভাজনৰ দৃঢ় বিশ্বাস। এই বিশ্বাসেই হওক জাতিটোৰ সঞ্জীবনী শক্তি।

ব্রহ্মাণ্ডলৰূপী ৰাইজ, শেহত আপোনাসবক পনৰ প্রণতি জনাই এই ভাষণৰ সামৰণি মাৰিলোঁ। প্রার্থনা জনাইছোঁ — এই অযোগ্যজনৰ বঢ়া-টুটা দোষ যেন আপোনাসবে নিজ গুণে মৰিষণ কৰে।

পূর্ণমদঃ পূর্ণমিদং পূর্ণাৎ পূর্ণমুদচ্যতে।
পূর্ণস্য পূর্ণমাদায় পূর্ণমেবাবশিষ্যতে ।।
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ

-- ❋ --

ত্রি-ষষ্টিতম অধিবেশন

বিলাসীপাৰা ঃ ৮ মার্চ ১৯৯৭ খ্রীঃ

ড° নগেন শইকীয়া

অসম সাহিত্য সভাৰ দ্বি-ষষ্টিতম অধিবেশনৰ সভাপতি, "গঙাচিলনীৰ পাখি"ৰ স্রষ্টা ড° লক্ষীনন্দন বৰা প্রমুখ্যে সভাৰ বিষয়ৱৰীয়া সকল আৰু প্রতিনিধি বর্গ, সভাৰ এই ত্রি-ষষ্টিতম অধিবেশনৰ অভ্যর্থনা সমিতিৰ সভাপতি, "অল্ এল'ন্ ইফ নিদ বি"ৰ নায়ক, অসমৰ প্রাক্তন মুখ্যমন্ত্রী আৰু অসমৰ ৰাজনৈতিক সাংস্কৃতিক মানচিত্রৰ অবিচ্ছেদ্য অংগ অবিভক্ত গোৱালপাৰা জিলাৰ সুৰক্ষাৰ নিশ্চিতিৰ বাবে ঐতিহাসিক ভূমিকা পালন কৰোঁতা সকলৰ অন্যতম শ্রী শৰৎ চন্দ্র সিংহ প্রমুখ্যে অভ্যর্থনা সমিতিৰ বিষয়ৱৰীয়া সকল আৰু সদস্যসকল, পশ্চিম অসমৰ 'গানৰ চৰাইৰ দেশ'ৰ অতিথি বৎসল ৰাইজ, এই অধিবেশনৰ সম্মানীয় উদ্বোধক, এগৰাকী প্রথিতযশা কবি শ্রী নীৱেন্দ্রনাথ চক্রৱর্তী ডাঙৰীয়া, অসম সাহিত্য সভাৰ প্রাক্তন সভাপতি সকল প্রমুখ্যে আমাৰ ভাষাসাহিত্য নিজৰ ৰচনাৰে সমৃদ্ধ কৰি তোলা মাননীয় বিশিষ্ট লেখক লেখিকা সকল আৰু সমবেত নৰ-নাৰায়ণৰ বিশাল সমুদ্র,

" মই তোমাক আগৰ পৰা
মই তোমাক পাছৰ পৰা
মই তোমাক ওপৰৰ পৰা
মই তোমাক তলৰ পৰা
মই তোমাক পূবৰ পৰা
মই তোমাক পশ্চিমৰ পৰা
মই তোমাক দক্ষিণৰ পৰা
মই তোমাক সোঁমাজৰ পৰা নমস্কাৰ কৰোঁ। "

"কেঁচুৱা মাতৃভাষা কেনেকৈ ডাঙৰ দীঘল হ'ব, কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱ বেলিৰ পোহৰ চাৰিওফালে পেলাই দুখীয়া আৰু এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব, কেনেকৈ সি দুর্বল, ৰুগীয়া আৰু জীর্ণ অৱস্থাৰ পৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনকে ঘাই লক্ষ্য স্বৰূপে লৈ কলিকতা প্রবাসী অসমীয়া ছাত্রসকলে ১৮৮৮ খ্রীঃত গঠন কৰা অ.ভা.উ.সা সভাৰ মাজেদিয়েই অসমীয়া ভাষা ভিত্তিক জাতীয় সাংস্কৃতিক চৈতন্যৰ সাংগঠনিক প্রকাশ ঘটিছিলে। ১৯১৭ খ্রীষ্টাব্দত প্রতিষ্ঠিত অসম সাহিত্য সভা এই সাংস্কৃতিক চৈতন্য তথা আকাংক্ষাৰ পূর্ণ সাংগঠনিক প্রকাশ। অসমীয়া ভাষাৰে আত্ম প্রকাশৰ বাট বিচৰা সকলোৱেই তেতিয়াৰে পৰা অসম সাহিত্য সভাৰ মাজত ভাষা সাহিত্য সংস্কৃতি তথা জাতীয় জীৱনৰ এক নির্ভৰ যোগ্য অভিভাৱকত্ব অনুভৱ কৰি আহিছে। সভায়ো ঘোষিত লক্ষ্য আৰু উদ্দেশ্যৰে জাতীয় সাংস্কৃতিক আকাংক্ষাৰ ধাৰক, বাহক আৰু ৰূপকাৰ স্বৰূপে প্রতিষ্ঠা লাভ কৰি আমাৰ জাতীয় জীৱনৰ সর্বোচ্চ সংস্কৃতিক অনুষ্ঠানৰ সম্মান লাভ কৰিবলৈ সমর্থ হ'ল। এনেকৈয়ে অসম সাহিত্য সভা হৈ উঠিল জাতীয় প্রাণ প্রবাহৰ সাংগঠনিক অভিব্যক্তি। 'ফ্রেন্চ একাডেমী' বা 'বংগীয় সাহিত্য পৰিষৎ'ৰ দৰে ই ভাষা সাহিত্যৰ কেৱল বিদ্যায়তনিক পৰিধিৰ মাজতে আৱদ্ধ হৈ নাথাকিল, ই হৈ উঠিল আমাৰ সাংস্কৃতিক আকাংক্ষাৰো প্রতীক। এনেভাৱে এটা অনুষ্ঠান এটা জাতি সত্তাৰ

জাতীয় আকাংক্ষাৰ মূৰ্ত্ত প্ৰতীক হৈ উঠাৰ দৰে ঘটনা বিশ্বৰ ক'ৰবাত হৈছেনে নাই নাজানো; কিন্তু আমাৰ ভাৰতবৰ্ষৰ আন ক'তো হোৱা নাই বুলিয়েই জানো। এক প্ৰবল স্বদেশানুৰাগেই সাহিত্য সভাৰ ঘাই জীৱনী শক্তি। সেইবাবে জাতি বৰ্ণ ধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে অসমৰ জনসাধাৰণৰো সাহিত্য সভা যেন 'জীৱন্ধৰী' মণিলৈ ৰূপান্তৰিত হ'ল। কাৰণ, যি ভাষাৰে অসমৰ জনসাধাৰণে নিজৰ চিন্তা, ভাৱনা, কল্পনা আৰু অনুভৱ প্ৰকাশ কৰি আহিছে যুগ যুগ ধৰি, সাহিত্য সভাই সেই ভাষাৰ সংৰক্ষণ আৰু সম্বৰ্ধনৰ দায়িত্ব লৈ আহিছে; যি ভাষাৰে অসমৰ মানুহে হৃদয়ৰ লগত হৃদয়ৰ যোগাযোগ স্থাপন কৰি আহিছে, যি ভাষা উপাসনাৰ ভাষা স্বৰূপে গঢ়ি তুলিছে, সভাই সেই ভাষাৰ স্বাৰ্থৰ হকে. কাম কৰি আহিছে; যি ভাষাৰে অসমৰ মানুহে মানৱিক বৃত্তি, বোধ আৰু প্ৰমূল্য প্ৰকাশ কৰি আহিছে, সভাই সেই ভাষাৰ সমৃদ্ধিৰ বাবে প্ৰেৰণা যোগাবলৈ যত্ন কৰি আহিছে। প্ৰসঙ্গ ক্ৰমে উল্লেখযোগ্য যে অসমীয়া ভাষাৰ বিভিন্ন স্থানীয় ৰূপ থকা সত্ত্বেও তাৰ প্ৰাণৰ সুঁতি একেটাই। সাহিত্য সভা এই প্ৰাণ প্ৰবাহৰ লগত জড়িত বাবেই অসমৰ মানুহৰ প্ৰাণৰ লগত সভাৰ সম্পৰ্ক বিশিষ্ট কৰিব নোৱাৰাকৈ নিবিড়। অসমৰ জনসাধাৰণে সভাৰ সভাপতি গৰাকীৰ মাজতেই যেন এই অনুষ্ঠানটি 'প্ৰতীকী ভাৱনা' এটি প্ৰতিষ্ঠা কৰি লয়। সেইবাবেই এতিয়ালৈকে আমাৰ ৰাজ্যখনিত অসম সাহিত্য সভাৰ সভাপতি পদটি সৰ্ব্বোচ্চ স্বীকৃতি আৰু সম্মান স্বৰূপে গণ্য হৈ আহিছে। সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ পৰা ড"ৰ লক্ষ্মীনন্দন বৰালৈকে আমাৰ বৰেণ্য লেখক সকলক এই আসনত বহুৱাই অসমৰ জনসাধাৰণে যথাৰ্থতে যোগ্যজনকে এই সম্মান প্ৰদান কৰি আহিছে। মোৰ অৱস্থা সি সকলৰ তুলনাত 'এৰণ্ডো সদৃশ্যঃ বৃক্ষঃ। মহাপুৰুষ মাধৱদেৱে নামঘোষাত কৱৰ দৰে,

"হৰিৰ গৃহৰ দ্বাৰে বেত্ৰৰ প্ৰহাৰযোগ্য
ব্ৰহ্মা ইন্দ্ৰ আদি দেৱজাক।
হেনয় গৃহৰ দ্বাৰে প্ৰহাৰ পাইবাৰ যোগ্য
হওঁ আমি কমন ৰাক।"

"ফুলছ্ ৰাছ ইন্ হোৱেৰ এঞ্জেলছ্ ফিয়েৰ টু ট্ৰেড"—এই আপ্ত বাক্যকে প্ৰমাণ কৰিবলৈ আপোনাসকলে সুযোগ দিয়াৰ বাবে এতিয়া 'বন্দী' ইয়াত হাজিৰ! মহিমাময়ী ভাষা-জননী আৰু দেশ-জননীক মোৰ কৱৰ মন গৈছে, 'আমাৰ সকল দৈন্য লাজ,আমাৰ ক্ষুদ্ৰতা যত, ঢাকিয়াছ আজ তব ৰাজ-আস্তৰণে।"

অসম সাহিত্য সভাৰ পিছফালে আছে অসমৰ বিশাল জনসমুদ্ৰ। এই জনসমুদ্ৰৰ বাবে অসম সাহিত্য সভা এটা ভাৱশক্তি। (Spirit), এটা ভাৱনাৰ প্ৰতীক । অসম সাহিত্য সভাৰ অধিবেশনসমূহ যেন স্বদেশানুৰাগআৰু মানৱিকতাৰ কুম্ভমেলা। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে সমগ্ৰ অঞ্চলৰ পৰা জনতা আহে এই 'কুম্ভমেলা'ত যোগ দিবলৈ। কালক্ষয়, অৰ্থক্ষয় আৰু শক্তিক্ষয় কৰি কিয় আহে? আহে এবাৰ স্বদেশানুৰাগৰ সংগমস্থলীত অৱগাহন কৰি যাবলৈ। যিসকলে এই জনতাক কেৱল 'মেলা চাবলৈ অহা', সাহিত্যৰ ভূ নোপোৱা মূঢ়জনতা' বুলি তাচ্ছিল্য কৰে, সেইসকলৰ মুখত যেতিয়া 'জনতাৰ' জয়গান শুনো, তেতিয়া 'ভূতৰ মুখত ৰাম নাম' বুলি ভবিৱৰ মন নাজাবনে? লোক-জীৱনক যি উপহাস কৰে, লোক জীৱনৰ বিষয়ে কথা কোৱাৰ তেওঁবিলাকৰ অধিকাৰ ক'ত আছে সুধিব পাৰোনে ? জ্যোতিপ্ৰসাদৰ ভাষাৰেই কৱৰ মন যায়,".....সেই জনতা আজি প্ৰবুদ্ধ হ'ল।" বিমূৰ্ত্ত জনতাৰ মংগল সাধনৰ আদৰ্শৰ ধ্বজা বহন কৰি মূৰ্ত জনতাৰ হৃদয়াৱেগক অসম্মান কৰোঁতাজনক জনসাধাৰণে বিশ্বাস কৰে কেনেকৈ? চন্দ্ৰকুমাৰে ক'ৰৰ দৰে, "মৰমৰ পানী নোহোৱা ঠাইত কেনেকৈ বিশ্বাস থয়"? লোক ইতিহাসে এনেবোৰ শক্তিক সদায় নাকচ কৰি আহিছে।

সভাৰ অধিবেশন এতিয়া অসমৰ জাতীয় বাৰ্ষিক 'সাহিত্য উৎসৱ' লৈ ৰূপান্তৰিত হৈছে। অসমৰ দূৰ দূৰণিৰ পৰাও হাজাৰ বিজাৰ লোক আহি সমবেত হয়হি অধিবেশন থলীত। সকলোৱেই বিষয় বাব লাভৰ বাবে নাহে; গাঠিৰ ধন ভাঙি আহে এই 'উৎসৱ'ত যোগ দিবলৈ; আহে, নিজৰ প্ৰিয় লেখক সকলক এবাৰ নিজৰ চকুৰে চাবলৈ। ১৯৬০ খ্ৰীষ্টাব্দৰ পৰা প্ৰতি অধিবেশনতে মই এনে অনেক লোক পাইছো। যিসকলে নিজৰ স্ত্ৰী-পুত্ৰ-কন্যাক লৈ গৈ, দূৰৰ পৰা দেখুৱাইছে, 'সৌৱা কক্কা নীলমণি ফুকন, সৌৱা ত্ৰৈলোক্য নাথ গোস্বামী, সৌৱা অতুল চন্দ্ৰ হাজৰিকা, সৌৱা ডিম্বেশ্বৰ নেওগ, সৌৱা বিনন্দ চন্দ্ৰ বৰুৱা, সৌৱা মহেশ্বৰ নেওগ, সৌৱা আব্দুল মালিক, সৌৱা লীলা গগৈ, সৌৱা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, সৌৱা যোগেশ দাস' — এনেকৈ আমাৰ বৰেণ্য লেখক সকলক। মুষ্টিমেয় মানুহৰ বাহিৰে আন কোনেও পাৰ্থিৱ লাভ লোকচানৰ উৰ্দ্ধলৈ গৈ বিশাল

জনতাই লাভ কৰা এই আনন্দক তাচ্ছিল্য নকৰে। তাচ্ছিল্য কৰা সকল দৰাচলতে অত্যন্ত সংকীর্ণ সীমাৰ মাজত বন্দী হৈ থকা অসুখী মানুহ। এনে অসুখী সকলৰে কোনো কোনোৱে সভাৰ মাজত কেৱল উগ্ৰ জাতীয়তাবাদৰ মধ্যবিত্ত-বিলাস দেখা পায়, তেওঁলোকে আমাৰ সামাজিক সংস্কৃতিক ইতিহাসৰ গতিপথৰ সঠিক মূল্যায়ন স্বাভাৱিকতেই কৰিব নোৱাৰে। তৰ্কৰ জালেৰে ইতিহাস কৰি তোলে তেওঁবিলাকে ধুঁৱলী কুঁৱলী; নিজেও বিভ্ৰান্ত হয় আৰু আনকো বিভ্ৰান্ত কৰে। সেইবুলিযে সভা সকলো দোষ-ত্ৰুটিৰ উৰ্দ্ধত, এনে নহয়। সভাক দোষমুক্তকৈ আগবঢ়াই নিবৰ বাবে মই বৰং গঠন মূলক কঠোৰ সমালোচনাৰো প্ৰয়োজন আছে বুলি অনুভৱ কৰো; আৰু এনে সমালোচনা আহ্বান কৰোঁ।

স্মৰণযোগ্য যে ভাষাৰ মৰ্যদা স্থাপন, সাহিত্যৰ সমৃদ্ধি সাধন আৰু জাতীয় স্বাৰ্থৰ সংৰক্ষণৰ লক্ষ্যৰ লগত অসমৰ মানুহৰ আত্ম পৰিচয় ৰক্ষাৰ আৰু বিকাশৰ লক্ষ্য সম্পৃক্ত হৈ থকাৰ বাবেই অসম সাহিত্য সভাৰ মাজত জাতীয় জীৱনৰ এটি প্ৰতীকী মূৰ্তি গঢ় লৈ উঠিছে। অসমৰ মানুহে এই মূৰ্ত্তিটিক অন্তৰ ভৰি ভাল পায় আৰু শ্ৰদ্ধা কৰে। জনসাধাৰণৰ বিপুল সমাগমে প্ৰমাণ কৰে যে অসমৰ সামুহিক জাতীয় জীৱনৰ প্ৰাণশক্তি সভাৰ মাজত এতিয়াও প্ৰৱাহিত হৈ আছে। সেইবাবে, সভাৰ কোনোবাই ক্ষতি সাধন কৰা বা সভাৰ ভাৱমূৰ্ত্তি বিনষ্ট কৰা কাৰ্য জনসাধাৰণে সহিব নোৱাৰে।

অসমৰ জাতীয় জীৱনৰ বিভিন্ন সংকট কালত অসমৰ জনসাধাৰণে সাহিত্য সভাৰ পৰা বৌদ্ধিক নেতৃত্ব বিচাৰে। সভাই যদি বিভিন্ন কাৰণত সহাৰি দিবলৈ কেতিয়াবা সমৰ্থ নহয়, তেতিয়াও সভা সমালোচনাৰ সম্মুখীন নোহোৱাকৈ নেথাকে। আকৌ, কেতিয়াবা সভাত ন্যস্ত স্বাৰ্থৰ হাঁতোৱা লগা বুলি অনুভৱ কৰিলেও জনসাধাৰণ ক্ষুব্ধ হয়, ক্ৰুদ্ধও হয়। তদুপৰি, 'অসম সাহিত্য সভা'— এই নামটোৱেই এই অনুষ্ঠানটো যে ঘাইকৈ ভাষা সাহিত্যৰ অনুষ্ঠান সেই কথা ঘোষণা কৰিলেও অনুষ্ঠানটোৰ সংগঠনৰ লগত ভাষা সাহিত্যৰ প্ৰকৃত অনুৰাগীৰ লোকসকল জড়িত হৈ অনুষ্ঠানটোৰ প্ৰতি সেৱা আগবঢ়োৱাৰ দুৱাৰ মুকলি হৈ আছে। কিন্তু এই অনুষ্ঠানৰ মঞ্চখন ভাষা সাহিত্যৰ যথাৰ্থ সেৱক সকলৰলৈ এৰি দিব লাগে। সেয়ে যদি নহয়, সাংগঠনিক দক্ষতাৰ অজুহাত লৈ যদি সাহিত্য সভাৰ মঞ্চখনো সকলোৱে ব্যৱহাৰ কৰিবলৈ খোজে, সাহিত্য সভা নামটোৱে অৰ্থহীন হৈ পৰিব। এনে অৱস্থা হোৱা যেন দেখিলে যথাৰ্থ সাহিত্যিক সকল লাহেকৈ আঁতৰি যাব, আৰু সাহিত্য সভা 'ডেনমাৰ্কৰ ৰজা নোহোৱাকৈ হেমলেট'ৰ অভিনয়ত পৰ্যবসিত হোৱাৰ উপক্ৰম ঘটিব। এতেকে আমাৰ শাখা সভা আৰু জিলা সভা সমূহেও সভালৈ প্ৰতিনিধি পঠাওতে আৰু কাৰ্যনিৰ্বাহকলৈ প্ৰতিনিধি বাচোতে যাতে স্থানীয় লোকসকলক পঠাব পাৰে বা বাচিব পাৰে তাৰ প্ৰতি বিশেষ চকু দিয়া উচিত। তদুপৰি স্থানীয় নবীন প্ৰবীণ লেখক লেখিকা সকলক যাতে শাখা সভা আৰু জিলা সভাৰ লগত যুক্ত কৰি ল'ব পাৰে তাৰ বাবে ব্যৱস্থা ল'ব লাগে। সাহিত্যিক নোহোৱা সাহিত্য সভালৈ যাতে অনুষ্ঠানটো অৱনমিত নহয়, তাৰ প্ৰতি চকু দি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তেহে সভাৰো মৰ্যদা ৰ'ব আৰু জনসাধাৰণৰো আস্থা অটুট হৈ থাকিব। সাহিত্য সভাৰ ভাব শক্তিৰ লগত অপৰিচিত, সভাৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগত অপৰিচিত, আনকি অসমীয়া ভাষা সাহিত্যৰে খবৰ নৰখা লোক যদি সভাৰ বিষয় বাবৰ দাবীদাৰ হয় তেনেহলে তাতকৈ দুৰ্ভাগ্যৰ দিন সভাৰ বাবে কি হ'ব পাৰে? এনে এচাম দাবীদাৰে, আনকি সভাৰ বাবে জীৱনৰ সৰহখিনি সময় দিয়া লোককো সভাৰ পৰা বহিষ্কাৰৰ দাবী তোলাৰ দুৰ্ভাগ্য জনক উদাহৰণো আছে। এনেবোৰ অতি ক্ষুদ্ৰ আৰু সংকীর্ণ মনৰ প্ৰাণীয়ে যাতে সাহিত্য সভাক নষ্ট কৰিব নোৱাৰে, তাৰ প্ৰতি সকলোটি সচেতন হ'ব লাগিব। এনেবোৰ লোকৰ ক্ষেত্ৰত আমি সতৰ্কও হ'ব লাগিব আৰু কঠোৰো হ'ব লাগিব।

অসমীয়া ভাষা সাহিত্যক অন্তৰেৰে ভাল পোৱা, অসমৰ বিভিন্ন ভাষাৰ বিকাশ অন্তৰেৰে বাঞ্ছা কৰা, সকলো ভাষা-ধৰ্ম সম্প্ৰদায়ৰ উৰ্দ্ধত যথাৰ্থতে মানুহক ভালপোৱা, দল-মত-ভাষা-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলোৰে বাবে অসম সাহিত্য সভাৰ দুৱাৰ আমি মুকলি কৰি দিছোঁ।

চণ্ডী দাসে ক'ৰব দৰে—'সবাৰ উপৰে মানুষ সত্য তাহাঁৰ উপৰে নাই।' মানৱিক মূল্যবোধ আৰু গণতান্ত্ৰিক মূল্যবোধত বিশ্বাসী সকলে দেশৰ আৰু মানুহৰ অমংগল সাধন কৰিব নোৱাৰে। অসম সাহিত্য সভাই এই দুই মূল্য বোধৰ পৃষ্ঠপোষকতা কৰি আহিছে আৰু কৰি থাকিব। মানুহৰ প্ৰতি প্ৰেম নথকা মানুহ সাহিত্যিক বা শিল্পী হ'ব নোৱাৰে। অসম সাহিত্য সভাই দেশ আৰু কালৰ সীমাত বন্দী বিশেষ মানুহৰ মাজেদি দেশ আৰু কালৰ সীমাৰ উৰ্দ্ধত থকা নিৰ্বিশেষ মানুহৰ মংগল সাধনকে শেষ লক্ষ্য কৰি আহিছে। অম্বিকা গিৰীৰ অসমীয়া জাতীয়তাবাদ, ভাৰতীয় মহা জাতীয়বাদ আৰু বিশ্ব মানৱতাবাদৰ পথ বা জ্যোতি প্ৰসাদৰ অসমীয়া জাতীয়তাবাদ, ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদ আৰু বিশ্ব মানৱতাবাদৰ পথেই অসম সাহিত্য সভাৰো পথ।

জনতাৰ হৃদয়ত মোৰ সোনোৱালী দেশ।
মই পিন্ধো বিশ্ব বেশ
নতুন দৃষ্টিৰে চাওঁ সৃষ্টি অনিমেষ

দুই

সমাজ জীৱনৰ প্ৰতিটো ঘটনাই ঘটে তাৰ নিজৰ সামাজিক ঐতিহাসিক পৃষ্ঠভূমিত। কোনবোৰ ক্ৰিয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে একোটা ঘটনা ঘটে তাৰ বস্তু নিৰপেক্ষ, নিৰ্মোহ বিচাৰেহে ঘটনা বোৰৰ প্ৰকৃতি স্পষ্ট কৰি দিব পাৰে। আমি সেনেদৰে ঘটাটো বিচাৰো তেনেভাৱে ঘটনাবোৰ নঘটাৰ কাৰণে আমি যদি খৰ্গ-হস্ত হৈ অতীতক ভৎৰ্সনা কৰিবলৈ আৰম্ভ কৰো, আমাৰ বিচাৰ, স্বাভাৱিকতেই অতীতক বিকৃত কৰিব পৰাকৈ ভয়ংকৰ ভাবে ব্যক্তিনিষ্ঠ, আত্ম মোহগ্ৰস্ত আৰু একদেশদৰ্শী হ'ব, সেই বিষয়ে বিন্দু মাত্ৰ সন্দেহ নাই। তথ্যই ইতিহাস নহয়; কিন্তু তথ্যৰ একদেশদৰ্শী ব্যাখ্যাও ইতিহাস নহয়, এই কথাষাৰ আমি সততে মনত ৰাখিব লাগিব। নিজৰ আদৰ্শ আৰু মত জাপি দি যি সকলে ইতিহাসৰ তথ্য ব্যাখ্যা কৰে তেওঁবিলাকেই ইতিহাস বিকৃত কৰে। তাতকৈ কেৱল তথ্যৰ ওপৰত গুৰুত্ব দি সিদ্ধান্তলৈ অহা সকল বৰং বহুগুণে কম ক্ষতিকাৰক। নিজৰ মত বা আদৰ্শৰ শুদ্ধতা প্ৰমাণ কৰিবলৈ, প্ৰসঙ্গৰ উল্লেখ নকৰাকৈ, কোনো বিষয়ৰ একোটা অংশ বিশেষ উদ্ধৃত কৰি, তাৰ বিৰূপ ব্যাখ্যা কৰাটো এটা অত্যন্ত ক্ষতিকাৰক অপৰাধ স্বৰূপে গণ্য হ'ব যোগ্য। ইতিহাসৰ তথ্য তাৰ আৰ্থ সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক পটভূমিত থৈ বিশ্লেষণ কৰাটো এটা বৈজ্ঞানিক কাৰ্য। এই কাৰ্য ভাষ্যকাৰৰ ব্যক্তিগত ভালপোৱা বেয়াপোৱাই নিয়ন্ত্ৰণ কৰিলে, সেই কাৰ্য, স্বাভাৱিকতেই বৈজ্ঞানিক চৰিত্ৰ হেৰুৱাই ব্যক্তিগত প্ৰক্ৰিয়ালৈ পৰ্যবসিত হয়। বস্তুবাদী ব্যাখ্যাৰ নামত অবস্তুবাদী মনেৰে কৰা ব্যাখ্যা বস্তুত ঃ গ্লানিকৰ ব্যাখ্যা। এনে ভাষ্যকাৰ সকলে প্ৰসঙ্গৰ পৰা নিজৰ প্ৰয়োজন মতে বুটলি অনা 'তথ্য'ৰ গধুৰ গদাৰে আৰু খুৰধাৰ ভাষাৰ তৰোৱালেৰে প্ৰতিপক্ষক কৰা আক্ৰমণে সাময়িক আলোড়ন তুলিব পাৰে, কিন্তু তেওঁবিলাক সত্যৰ ওচৰ চাপিব নোৱাৰে। বহল নিৰ্মোহ দৃষ্টিভংগী, বিষয়ৰ ওপৰত সামগ্ৰিক অধিকাৰ আৰু ভাষাৰ সংযম নথকা সকলৰ হাতত ইতিহাস বিকৃত হ'বলৈ বাধ্য। বস্তুবাদী দৃষ্টিকোণেৰে ভাৰতবৰ্ষৰ ইতিহাস ৰচনা কৰা ডি ডি. কৌশাম্বীৰ মাজত এই ধাৰাৰ এটি আদৰ্শ ৰূপে প্ৰকাশ লাভ কৰিছে। আমি প্ৰয়োজন মতে হয়তো কৌশাম্বীৰ নাম লওঁ, কিন্তু তেওঁৰ ঘাই বৈশিষ্ট্য অনুশীলন নকৰোঁ। সেইবাবে, অসমৰ উনবিংশ শতিকাৰ ইতিহাস অধ্যয়ন কৰোঁতাসকলক আমাৰ এই সময়ছোৱাৰ ইতিহাস অত্যন্ত সতৰ্কতাৰে বিচাৰ কৰিবলৈ মই অনুৰোধ জনাব খোজোঁ। কাৰণ আমাৰ উনবিংশ শতিকাৰ সামাজিক আৰু বৌদ্ধিক জীৱনৰ ইতিহাসেই আধুনিক অসমৰ জাতীয় জীৱন, ভাষা আৰু সাহিত্যৰো ইতিহাস।

উনবিংশ শতিকাত দ্ৰুততাৰে ঘটা সামাজিক ৰাজনৈতিক পৰিবৰ্তনে আৰু আনুষ্ঠানিক শিক্ষাৰ প্ৰবৰ্তনৰ ফলত গঢ় লৈ উঠা নতুন শিক্ষিত শ্ৰেণীয়ে আধুনিক অসম ৰচনাৰ বাবে গঢ়ি তুলিলে ইয়াৰ পটভূমি আৰু গ্ৰহণ কৰি গ'ল এক বিশিষ্ট ঐতিহাসিক ভূমিকা। এবাৰ এই শতিকাৰ ঘটনাবোৰৰ চৰিত্ৰ বিচাৰ কৰি চাওঁ আহক।

উনবিংশ শতিকাৰ প্ৰথমাৰ্ধই অত্যন্ত যন্ত্ৰণাৰে অসমত ছশ বছৰীয়া আহোম ৰাজত্বৰ অৱসান ঘটা দেখাৰ লগে লগে দেখিলে অতীতৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক মূল্যবোধ আৰু প্ৰতিষ্ঠানসমূহৰো অন্তিম অৱস্থা। পুঁজিবাদী আৰু উপনিবেশবাদী এই দুয়োটি সগোত্ৰ চৰিত্ৰিক বৈশিষ্ট্যৰে বৃটিছ শক্তিয়ে অসমত এওঁলোকৰ উদ্দেশ্য পূৰণ হ'ব পৰাকৈ নতুন প্ৰশাসনিক, অৰ্থনৈতিক আৰু সামাজিক স্তৰ বিন্যাস কৰি ললে, মুদ্ৰাভিত্তিক অৰ্থনীতিৰ ভেটি স্থাপন কৰিলে আৰু এওঁবিলাকৰ কামত অহাকৈ নতুন আনুষ্ঠানিক শিক্ষা নীতিৰ প্ৰবৰ্তন কৰিলে। এই শিক্ষানীতিৰ লগত আধুনিক অসমৰ ইতিহাস ঘনিষ্ঠ ভাৱে জড়িত হৈ আছে।

আমি জানো যে ১৮২৯ খ্ৰীষ্টাব্দত বৃটিছ মিছনেৰী জেমছ্ বেই গুৱাহাটীত স্কুল স্থাপন কৰিছিল যদিও, মেজৰ জেনেৰেল জেন কিলৰ উদ্যোগত ১৮৩৫ খ্ৰীঃত প্ৰতিষ্ঠিত গুৱাহাটীত ছে মিনাৰীয়েই যথাৰ্থতে অসমত আধুনিক পাশ্চাত্য ৰীতিৰ আনুষ্ঠানিক শিক্ষাৰ বাট কাটিলে। জেন-কিলৰ আহ্বানত, ব্ৰহ্মদেশৰ মৌলমেনত থকা আমেৰিকান বেপ্টিষ্ট মিছনেৰী সকল আহিল হাতত বাইবেল লৈ ধৰ্ম প্ৰচাৰৰ বাবে। বিদেশী সোনাৰ নোৱাৰা চীনদেশলৈও সোমোৱাৰ উপায় ওলাব বুলি নাথান ব্ৰাউন, অলিভাৰ টি কাটাৰ প্ৰমুখ্য মিছনেৰী সকলে শ্যান ভাষাৰো কিছু পুথিগত জ্ঞান আহৰণ কৰি উজাই আহি শদিয়াত সত্ৰ পাতিলেহি ১৮৩৫ খ্ৰীষ্টাব্দত।

আনহাতে ১৮২৬ খ্রীঃত বৃটিছ শক্তিয়ে অসমত থকা ব্রহ্মদেশৰ শাসনকর্তা মিঙিমাহা তিলোৱাৰ পৰা অসমৰ দখললৈ মানৱ অত্যাচাৰ উৎপীড়নৰ অন্ত পেলোৱাত স্বাভাৱিকতে স্বস্তিৰ নিশ্বাস পেলালে নিৰীহ সাধাৰণ দেশবাসীয়ে। স্বর্গদেউ ৰাজেশ্বৰ সিংহৰ দিনৰ গণনাত পোৱা অসমৰ চৌৱিশ লাখ মানুহৰ ঠাইত ১৮২৬ খ্রীষ্টাব্দত অসমত পোৱা হৈছিল মাত্র আঠ লাখ মানুহ। ৰাজনৈতিক, অর্থনৈতিক আৰু সামাজিক সকলো ফালে বিধ্বস্ত দেশখনত বৃটিছে আহি খোপনি পোতা দেখি পিয়লি ফুকন, গমধৰ কোঁৱৰৰ দৰে সম্ভ্রান্ত পৰিয়ালৰ কেইগৰাকীমানৰ নেতৃত্বত বৃটিছৰ হাতৰ পৰা অসম উদ্ধাৰৰ বাবে যত্ন হৈছিল ঠিকেই; কিন্তু পৰাক্রমী বৃটিছ শক্তিৰ কবলৰ পৰা দেশ উদ্ধাৰ কৰা স্বাভাৱিকতে সম্ভৱ নাছিল।

আনহাতে, বৃটিছ প্রশাসনে প্রথম অৱস্থাত নিয়োগ কৰা পুৰণি বা-বিষয়াৰ পৰিয়ালৰ লোকসকলে নতুন প্রশাসনীয় আৰু ৰাজহ পদ্ধতিত নিজকে খাপ খোৱাব নোৱাৰাত বেংগল প্রেছিডেন্সিৰ পৰা কর্মচাৰী আনি মকৱল কৰিলে। ১৮৩৮ খ্রীষ্টাব্দত জেন্ কিন্সে ফর্ট উইলিয়ামলৈ প্রেৰণ কৰা প্রতিবেদন অনুসৰিয়ে অসমৰ সকলো চৰকাৰী অফিচ আদালতত নিযুক্ত লোকসকলৰ পূর্ণ শতাংশেই আছিল বাংলাভাষী। মন কৰিবলগীয়া যে, ইতিমধ্যে নবাব সকলৰ শাসনত বেংগলৰ প্রশাসনত চলি থকা পার্চী ভাষা জনা লোকৰ সংখ্যা বৃটিছ শাসনত ক্রমাৎ কমি যোৱাত ১৮৩০ খ্রীঃত মানৰ পৰা বংগৰ প্রশাসনত বাংলা মিহলি পার্চী বা বাংলা ব্যৱহৃত হ'বলৈ ধৰিছিল— অনানুষ্ঠানিক ভাৱে সেই প্রশাসনত কাম কৰা কর্মচাৰী সকলে অসমলৈ আহিও একেধৰণৰ ভাষাৰেই কাম আৰম্ভ কৰিব, তাত অস্বাভাৱিকতা একো নাছিল। ১৮৩৭ খ্রীঃত বৃটিছ চৰকাৰে তেওঁলোকৰ অধীনৰ ভাৰতৰ প্রদেশ বিলাকৰ প্রশাসন আৰু ন্যায়ালয়ৰ কাম-কাজৰ মাধ্যম সংশ্লিষ্ট প্রদেশৰ ভাষা হ'ব বুলি কৰা আইন বংগত প্রৱর্তিত হ'ল; আৰু বেংগল প্রেছিডেন্সি ৰ অংগ হিচাপে চামিল কৰি লোৱা অসমতো এই আইনৰ অধীনত আনুষ্ঠানিক ভাৱে বাংলা প্রয়োগ কৰা হ'ল। 'দেশৰ নতুন ৰজা আৰু বিষয়া' সকলৰ ভাষা নিৰক্ষৰ সাধাৰণ (প্রজা)ৰ ভাষা নহলেও প্রজা সকলে স্বাভাৱিকতে সেই ভাষা সম্মানৰ চকুৰে চাবলৈ ধৰিলে। সম্ভ্রান্ত যিসকল মুষ্টিমেয় লোক আছিল তেওঁবিলাকেও এই নতুন প্রশাসনীয় ভাষাৰ কাষত যেন ভাষিক হীনমান্যতা অনুভৱ কৰিলে। এই ভাষা যে অসমৰ সাধাৰণ মানুহৰ ভাষা নহয় সেই কথা কবলৈ ১৮৩৭ খ্রীঃত আনন্দৰাম ঢেকীয়াল ফুকন মাত্র আঠ বছৰীয়া কিশোৰ; হেমচন্দ্র বৰুৱা আৰু গুণাভিৰাম বৰুৱা তিনি চাৰিবছৰীয়া কেঁচুৱা। উনবিংশ শতিকাৰ অসমৰ বাংলা ভাষা প্রৱর্তনৰ বিষয়টো আমি প্রেক্ষাপটতে বস্তুনিষ্ঠ ভাৱে চাব লাগিব।

অসমৰ মানুহৰ মুখৰ ভাষা যে অসমীয়া, আৰু অসমীয়া ভাষাৰ অবিহনে বাংলা বা আন ভাষাৰে যে অসমৰ মানুহৰ লগত যোগাযোগ কৰা সম্ভৱ নহয়, সেই কথা প্রথম হৃদয়ংগম কৰিলে শদিয়াত গৈ খোপনি লোৱা মিছনেৰিসকলে। তেওঁবিলাকে শিকি যোৱা শ্যান ভাষাটো যে কোনো কামত নালাগে, সেই কথা বুজি পাবলৈ তেওঁবিলাকক বেছি সময়ৰ প্রয়োজন নহ'ল। অসমীয়া নাজানিলে যে খ্রীষ্ট ধর্ম প্রচাৰৰ ঘাই লক্ষ্যটোৱেই সুদূৰ পাৰাহত হৈ পৰিব, সেই কথা অনুভৱ কৰি তেওঁবিলাকে নিজেও অসমীয়া ভাষা শিকিবলৈ ল'লে আৰু অসমীয়া মানুহকো নিজৰ ভাষা-সম্পর্কে লাহে লাহে সজাগ কৰি তুলিলে। ভাষিক-চেতনাৰ নৱ-অভ্যুদয় এনেকৈয়ে ঘটিল। স্বাভাৱিকতে, মিছনেৰিসকলে নিজৰ স্বার্থতে চৰকাৰী ভাষা-নীতিৰো বিৰোধিতা কৰিলে।

চৰকাৰী কাম-কাজৰ মাধ্যম হ'ব নোৱৰা ভাষা এটাৰ প্রতি চৰকাৰী কাম-কাজত নিযুক্ত অনা-অসমীয়াসকলৰ মনোভাব যে সম্মানসূচক নহ'ব, সেই বিষয়েও কোনো সন্দেহ নাথাকিল। তদুপৰি, অসমীয়া ভাষাত ব্যৱহৃত তৎসম আৰু তদ্ভৱ শব্দসমূহ বাংলাৰ সৈতে ওচৰ-সম্পর্কীয় যেন দেখি, বাঙালীসকলে অসমীয়া ভাষাক বাংলাৰ এটা আঞ্চলিক ৰূপ বুলি গণ্য কৰিব, তাতো অস্বাভাৱিকতা নাছিল। ৰামেশ্বৰ সেনৰ দৰে হেড মাষ্টৰেই যেতিয়া এনে ধাৰণা লৈছিল, অফিচ-আদালতত কাম কৰা সাধাৰণ কর্মচাৰীসকলক দোষ দিয়ে কেনেকৈ? পৰৱর্তী কালছোৱাত দীনেশচন্দ্র সেনৰ দৰে পণ্ডিত আৰু বাঙালী শিক্ষিতসকলেও অসমীয়া ভাষা বাংলাৰ এটা স্থানীয় ৰূপ বুলি লোৱা ধাৰণা আৰু এই সম্পর্কে প্রকাশ কৰা মত-অভিমত শিক্ষিত অসমীয়াসকলৰ বাবে এটা প্রত্যাহবান স্বৰূপ হৈ পৰিল। পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্র গোস্বামী আৰু বেজবৰুৱাই অসমত বাংলা ভাষা প্রৱর্তনৰ বাবে বাঙালী আমোলাসকলক দায়ী কৰাৰ আঁৱৰ এয়ে মনস্তাত্ত্বিক কাৰণ হ'ব পাৰে। কিন্তু, দুর্ভাগ্যৰ কথা এয়ে যে উকা তথ্যৰ পৰিৱর্তে বস্তুবাদী দৃষ্টিভংগীৰে কৰা ব্যাখ্যাহে ইতিহাস বুলি ভৱা আমাৰ অনেকে এনে ধৰণৰ 'ক্রিয়াৰ প্রতিক্রিয়া' ব্যাখ্যাৰ পৰা বিৰত থাকি প্রতিক্রিয়া প্রকাশ কৰাসকলকহে 'প্রতিক্রিয়াশীল' বুলি ভৎর্সনা কৰে। ইতিহাস-ব্যাখ্যাত যি নির্মোহ হ'ব নোৱাৰে, তেনেলোকৰ পৰা ইতিহাস সম্পর্কে কিবা শিকিবলগীয়া আছে বুলি ভৱা টান। উনবিংশ শতিকাৰ অসম সম্পর্কে

আলোচনা কৰোঁতে কোনো প্ৰকাৰৰ সাম্প্ৰদায়িক বিচাৰ নকৰি নিৰ্মোহ ভাবে তথ্য সমূহ বিশ্লেষণ কৰিলেহে ভুল ধাৰণা, শংকা বা সন্দেহৰ অৱসান ঘটিব। প্ৰসংগক্ৰমে কৈ থওঁ অসমৰ বাংলাভাষী অসমীয়া সকলো উনবিংশ শতিকাৰ অসমীয়া ভাষাৰ সংকটৰ বাবে তেওঁবিলাকক কিবা দোষে চুব বুলি ভাবিব নালাগে। বাংলাভাষী অসমীয়া সকলো অসমৰ সমাজজীৱনৰ সমান অংশীদাৰ— এই প্ৰত্যয় তেওঁবিলাকেও নিজৰ ভিতৰত অনুভৱ কৰিব লাগিব। অসম সাহিত্য সভাই তেওঁবিলাককো সমান অসমীয়া জ্ঞান কৰে।

পশ্চিমীয়া আনুষ্ঠানিক শিক্ষা প্ৰবৰ্তনৰ উদ্দেশ্য লৰ্ড মেকলেই স্পষ্ট ভাষাৰেই কৈছিল এইবুলি "we must at present do our best to form, a class who may be interpreters between us and the millions whom we govern; a class of persons Indian in blood and colour, but English in tastes, in opinions, in morals and in intellect." এতেকে, অসমত বৃটিছে প্ৰবৰ্তন কৰা আনুষ্ঠানিক শিক্ষাৰ নীতি, পদ্ধতি আৰু পাঠ্যক্ৰমত বৃটিছৰ এই উদ্দেশ্যৰ প্ৰভাৱ পৰিব, সেই বিষয়ে সন্দেহ নাই। উনবিংশ শতিকাৰ কথা নকৰেই, স্বাধীন ভাৰতৰ স্কুল-কলেজৰ পাঠ্যক্ৰমৰ পৰাও সেই প্ৰভাৱ আঁতৰি যোৱা নাই। খ্ৰীষ্টান মিছনেৰিসকলৰ স্কুল স্থাপন আৰু অসমীয়া ভাষাৰ আনুষ্ঠানিক শিক্ষাদানৰ উদ্দেশ্য আছিল অসমত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ। অৰ্থাৎ, দুয়োপক্ষই নিজৰ নিজৰ স্বাৰ্থতে ক্ৰমে, আনুষ্ঠানিক শিক্ষাৰ প্ৰবৰ্তন আৰু অসমীয়া ভাষাৰ হক প্ৰতিষ্ঠাৰ যত্ন কৰিছিল। কিন্তু, তেওঁবিলাকৰ কাৰ্যই অসমত এটা নতুন যুগৰ সূচনা কৰিলে। আনুষ্ঠানিক শিক্ষাই গঢ়ি তুলিলে অসমত এটি শিক্ষিত মধ্যবিত্ত শ্ৰেণী আৰু মিছনেৰিসকলে জগাই তুলিলে ভাষিক জাতীয় চেতনা।

ভাষা-ভিত্তিক জাতীয়তাবাদৰ ভিত্তি কেৱল অসমতে নহয় সমগ্ৰ ভাৰতবৰ্ষত উনবিংশ শতিকাত প্ৰায় একে ধৰণৰ পটভূমিত গঢ় লৈ উঠে। য'তেই, যেতিয়াই শিক্ষিত মধ্যবিত্ত শ্ৰেণী একোটি গঢ় লৈ উঠিছে, ত'তেই সেই গোটৰ মাজত ভাষিক-সাংস্কৃতিক জাতীয় চৈতন্যয়ো সাৰ পাই উঠিছে। এই জাতীয় চৈতন্যই নিজৰ ভাষিক আৰু সাংস্কৃতিক পৰিচয়ৰ ভিত্তিত জাতীয়তাবাদৰ জন্ম দিছে। ই এক সামাজিক-ঐতিহাসিক ফল। ভাৰতবৰ্ষত উপনিবেশবাদী বৃটিছ শক্তিৰ কাম-কাজেই এনে জাতীয়তাবাদ গঢ় লোৱাত বৰং সহায় কৰিলে। অসমতো ভাষিক- সাংস্কৃতিক জাতীয়তাবাদ গঠনৰ ইতিহাস বৃটিছ ভাৰতৰ বহল পটভূমিৰ পৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি।

ভাৰতীয় জাতীয়তাবাদ গঢ় লৈ উঠাত ভাৰতবৰ্ষত জাতীয় ইতিহাস ৰচনাৰ ইতিহাসো জড়িতহৈ আছে। দেখা যায় উনবিংশ শতিকাৰ পৰা বিংশ শতিকাৰ আগভাগলৈকে ইতিহাস চৰ্চাৰ চাৰিটা প্ৰধান ধাৰাই জন্ম আৰু বিকাশ লাভ কৰিলে : এক, উইল্‌কিন্‌ছ, উইলিয়াম্, জোন্‌ছ, মে'মুলাৰ আদি পণ্ডিতসকলৰ দ্বাৰা নতুনকৈ অধীনত আৰু আবিষ্কৃত ভাৰতবৰ্ষৰ আধাৰত গঢ লৈ উঠা ভাৰত-তত্ত্ব বা প্ৰাচ্যতত্ত্ব; দুই, জেমছ মিল্ ভিন্‌চেণ্ট স্মিথৰ দৰে উপনিবেশবাদী আৰু ঔপনিবেশিক স্বাৰ্থৰ লগত খাপ খোৱাকৈ ভাষ্যদান কৰা ইতিহাস প্ৰণেতাৰ উদ্দেশ্য-প্ৰাণোদিত ৰচনা; তিনি, ভাৰতীয় ঐতিহাসিকসকলে কৰা বিজ্ঞানসম্মত অধ্যয়নৰ ধাৰা— যিটি ধাৰাৰ গৱেষক স্বৰূপে দাণ্ডেকাৰ, কানে, আপ্তে, শাংকোলিয়া, ৰাজেন্দ্ৰলাল মিত্ৰ, ৰমেশচন্দ্ৰ দত্ত, আৰ. জি. ভাণ্ডাৰকাৰৰ দৰে পণ্ডিতে ভাৰতীয় ঐতিহ্যৰ পুনৰ উদ্ধাৰ আৰু পুনৰ্মূল্যায়নৰ পথ প্ৰশস্ত কৰিলে; আৰু চাৰি, জাতীয়তাবাদী ধাৰা, যিটি ধাৰা ইউৰোপীয় ঔপনিবেশিক ধাৰাটিৰ প্ৰতিবাদী ধাৰা স্বৰূপে মূৰ দাঙি উঠিল।

জেমছ্ মিলে ভাৰতীয় সমাজ-ব্যৱস্থা তথা নীতি-নিয়মক মানুহৰ চিন্তাৰ আটাইতকৈ ৰ্বৰ আৰু আটাইতকৈ দুৰ্বল প্ৰতিফলন বুলি ভাবিছিল; এল্‌ফিন্‌ষ্টনে হিন্দুবিলাকক দোৰ্ঘোৰ মিছলীয়া বুলি কৈছিল; ভিন্‌চেণ্ট্ স্মিথে আনকি ইলিয়াডৰ অনুকৰণত ৰামায়ণ আৰু বাইবেলৰ আধাৰত গীতা ৰচনা কৰা বুলি মন্তব্য কৰিছিল আৰু ভাৰতীয়বিলাকে ফিনীচীয়সকলৰ পৰা ব্ৰাহ্মী লিপি ধাৰ কৰা বুলি কৈছিল। এনে বুৰঞ্জীৰ বিপৰীতে ভাৰতীয় ইতিহাসকাৰসকলেও ভাৰতবৰ্ষৰ প্ৰাচীন ঐতিহ্য, ধৰ্ম, দৰ্শন আৰু সংস্কৃতিৰ গৌৰবোজ্জ্বল ইতিহাস পুনৰ্নিৰ্মাণৰ প্ৰয়োজনীয়তা অনুভৱ কৰিবলৈ ধৰিলে। অৰ্থাৎ জাতীয় চেতনা তথা দেশাত্মবোধ ইতিহাস চৰ্চাৰ অন্যতম প্ৰেৰণাৰ উৎস হৈ পৰিল।

অৰ্থনৈতিক স্বাৰ্থ, ভাষা, সংস্কৃতি আৰু নিৰ্দিষ্ট ভূখণ্ড— এই চাৰিটাই ষ্টেলিনে কোৱাৰ দৰে জাতি গঠনৰ ঘাই উপাদান হ'লেও, জাতীয়তাবাদ ক্ৰমাৎ বহুমাত্ৰিক হৈ পৰিছে। নিৰ্দিষ্ট এলাকা আৰু সাৰ্বভৌমত্বৰ প্ৰশ্ন জড়িত নকৰাকৈয়ে ভাষা, সংস্কৃতি, অৰ্থনীতি আৰু গোষ্ঠীগত চেতনাত্মো জাতীয় চেতনা গঢ়ি তোলা দেখা গৈছে। সাম্প্ৰতিক কালত আমাৰ ৰাজ্যতো গোষ্ঠীগত

ঐক্য সাধনৰ বাবে আৰু গোষ্ঠীগত ঐক্যৰ ভিত্তিত জাতীয় পৰিচয় গঢ়ি তুলিবৰ কাৰণে কৰা যত্নৰ যি অভিব্যক্তি এতিয়া ঘটিবলৈ লৈছে, তাৰ লগত যোৱা দুশ বছৰৰ ইতিহাসৰ সম্পৰ্ক আছে। কিন্তু আমাৰ বিদ্যায়তনিক অধ্যয়নে এই গুৰুত্বপূৰ্ণ দিশটোৰ একো একোটা অংশ সামৰি ললেও সামগ্ৰিক অধ্যয়ন এতিয়াও হোৱা নাই। সামগ্ৰিক অধ্যয়ন অবিহনে এনে অভিব্যক্তিসমূহৰ ঐতিহাসিক পৰিচয় যিদৰে পোৱা সম্ভৱ নহয়, তেনেদৰে সম্ভৱ নহয় এনে অভিব্যক্তিৰ ফলত উদ্ভৱ হোৱা সমস্যাৰ সমাধানৰ পথ বিচৰাও।

ভাৰতবৰ্ষত ঊনবিংশ শতিকাত গঢ় লৈ উঠা জাতীয়তাবাদ দ্বি-মাত্ৰিক ঃ এটা হ'ল ৰাজনৈতিক জাতীয়তাবাদ যাৰ লগত ভাৰতৰ মুক্তি আন্দোলন জড়িত হৈ আছিল; আৰু আনটো হ'ল সাংস্কৃতিক জাতীয়তাবাদ যাৰ লগত ভাৰতবৰ্ষৰ প্ৰতিটো অঞ্চলৰ ভাষা-সংস্কৃতিৰ বিকাশৰ যোগেদি আত্মপৰিচয় প্ৰতিষ্ঠাৰ প্ৰশ্ন আৰু আত্ম সংবৰ্ধনৰ লক্ষ্য জড়িত হৈ আছিল। যিহেতু ৰাজনৈতিক জাতীয়তাবাদৰ লগত জাতীয় মুক্তিৰ লক্ষ্য জড়িত এতেকে অনেকে কেবল ৰাজনৈতিক জাতীয়তাবাদকহে গুৰুত্ব দি বাকী মাত্ৰাটোক 'সংকীৰ্ণ জাতীয়তাবাদ' বুলি ক'ব খোজে। কিন্তু, অনেক সময়ত ইতিহাসৰ বস্তু-নিৰপেক্ষ অধ্যয়নে এনে সিদ্ধান্ত শুদ্ধ বুলি গ্ৰহণ কৰিব নোৱাৰে। অসমৰ ক্ষেত্ৰতে দেখা যায়, মানৰ আক্ৰমণ, সামন্তযুগৰ সামৰণিত দেখা দিয়া অন্তৰ্কন্দলত জৰ্জৰিত ৰাজ-শক্তি, বিধ্বস্ত অৰ্থনীতি আৰু সম্পূৰ্ণ বিধ্বস্ত সমৰ শক্তি—এনে এক অৱস্থাত অসমীয়া মানুহৰ বৃটিছ আগমন প্ৰতিৰোধ কৰিবৰ বাবে আৰু বৃটিছৰ অধিকাৰ কাঢ়ি ল'বৰ বাবে যে গাত শক্তি নাছিলেই তাৰ প্ৰমাণ পিয়লি ফুকন, গমধৰ কোঁৱৰ আৰু পিছত মণিৰাম দেৱানৰ ভূমিকা আৰু পৰিণতিয়েই দিয়ে। এতেকে,আনুষ্ঠানিক শিক্ষাপ্ৰাপ্ত আৰু ভাষিক জাতীয়তাৰ উমত ডাঙৰ-দীঘল হোৱা আনন্দৰাম-গুণাভিৰাম-হেমচন্দ্ৰৰ মাজত সাংস্কৃতিক জাতীয়তাবাদী ধাৰাই বিকাশ লাভ কৰাটো আছিল আৰু সামাজিক ইতিহাসৰ অৱশ্যম্ভাৱী ফল।

প্ৰথম অৱস্থাত এই সাংস্কৃতিক আন্দোলন মুষ্টিমেয় শিক্ষিতৰ মাজতে আৱদ্ধ আছিল; আৰু ক্ৰমাৎ অসমীয়া শিক্ষিত মধ্যবিত্ত শ্ৰেণী এটাৰ পত্তন হোৱাৰ লগে লগে এই সাংস্কৃতিক জাতীয় চৈতন্যই লাভ কৰিবলৈ ধৰিলে ক্ৰমবৰ্ধমান ৰূপ। ইয়াৰ ফলত অসমৰ মানুহে অসমীয়া ভাষাক, অসমক, অসমৰ অতীত, অসমৰ পুৰণি ঐতিহ্যক ভাল পাবলৈ শিকিলে ন-কৈ এহাতে ঐতিহ্যলব্ধ ভাৱবাদী দৰ্শন, আনহাতে পশ্চিমৰ পৰা পোৱা উদাৰ মানৱিকবাদ আৰু এক প্ৰবল স্বদেশ হিতৈষণা—এযে আছিল ঊনবিংশ শতিকাৰ শেষ ভাগৰ শিক্ষিত অসমীয়া মানুহৰ জীৱনাদৰ্শৰ ঘাই আধাৰ আৰু অসমীয়া ৰোমাণ্টিক সাহিত্যৰো ঘাই চালিকা শক্তি। তেওঁবিলাকে ৰাজনৈতিক মুক্তিৰ স্বপ্ন দেখা নাছিল। তেওঁবিলাকেই নহয়, বৰং ভাৰতৰ অন্যান্য ঠাইৰ শিক্ষিত মধ্যবিত্ত সকলেও দেখা নাছিল। উমেশচন্দ্ৰ বেনাৰ্জীৰ সভাপতিত্বত ১৯০৫ চনত বহা ভাৰতীয় কংগ্ৰেছ মহাসভায়ে আনকি পূৰ্ণ স্বাধীনতাৰ কথা ভবা নাছিল; বৰং বৃটিছ শক্তিৰ ছত্ৰ-ছায়াত কিছু আত্মবিকাশৰ সুযোগহে বিচাৰিছিল। এতেকে ঊনবিংশ শতিকাৰ অসমীয়া শিক্ষিত মধ্যবিত্তক বা অসমীয়া বুদ্ধিজীৱীক সামগ্ৰিক পটভূমিৰ পৰা বিচ্ছিন্ন কৰি আনি, 'বৃটিছৰ স্তাৱক' বুলি ভৎসনা কৰাটো কিমান সন্তুলিত আৰু বস্তু-নিৰপেক্ষ বিচাৰ, সি সহজেই অনুমেয়।

অসমীয়া শিক্ষিত মধ্যবিত্তই ৰাজনৈতিক মুক্তিৰ স্বপ্ন নেদেখিলেও ভাষিক আৰু সাংস্কৃতিক জাতীয় চেতনাৰ যি জাগৰণ ঘটালে, সেই জাগৰণেই আধুনিক অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰো ঘাই চালিকা শক্তি হৈ উঠিল। ই এক স্বাভাৱিক ঐতিহাসিক ফল। তদুপৰি, আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল যে— অসমত পৰৱৰ্তী কালত ঘটা ৰাজনৈতিক জাতীয় চেতনাৰ বাবেও এই সাংস্কৃতিক জাতীয় চেতনাই ভেটি বান্ধি দিছিল আৰু উদ্দীপকৰ কাম কৰিছিল। অসমত কংগ্ৰেছৰ সংগঠন গঢ়ি তোলা কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী, দেশভক্ত তৰুণৰাম ফুকন, কুলধৰ চলিহা, গোপীনাথ বৰদলৈ, অমিয় কুমাৰ দাস প্ৰমুখ্যে প্ৰায় সকলোৱে মাজত এই দুয়োটা চেতনা সমানে সক্ৰিয় হৈ পৰিছিল, আৰু সেই সম্মিলনত চেতনাৰ সুঁতিটো পিছলৈও প্ৰবাহিত হৈ আছিল। আনন্দৰাম-গুণাভিৰাম-হেমচন্দ্ৰৰ পৰা বেজবৰুৱা আৰু তেওঁৰ সতীৰ্থসকললৈকে অসমৰ এই শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৰ ৰঙনি অবিহনে জাতীয় চৈতন্যৰ জাগৰণ ইমান সহজে সম্ভৱ হৈ নুঠিলহেঁতেন। পৰৱৰ্তী কালত ৰাজনৈতিক জাতীয় চেতনাও এই সাংস্কৃতিক চেতনাৰ ৰস শুহিয়েই বাঢ়ি আহিল।

সাংস্কৃতিক জাতীয় চেতনাই অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি মৰ্যাদাবোধ, অসমৰ অতীত ইতিহাসৰ প্ৰতি শ্ৰদ্ধাভাৱনত দৃষ্টিভংগী, অসমৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি অনুৰাগ আৰ অসমৰ মানুহ আৰু প্ৰকৃতিৰ প্ৰতি আকৰ্ষণ জগাই তুলিলে। দেশৰ

মানুহৰ মনত আত্মপ্রত্যয়, আত্মবিশ্বাস আৰু দেশাত্মবোধ সৃষ্টি কৰিবলৈ কৰা যত্নৰ ইতিবাচক দিশটোৱেই আমাৰ সাম্প্রতিক কালৰ ইতিহাসৰ ভেটি বান্ধি দিছে।

ঊনবিংশ শতিকাৰ শেষ দশকৰ পৰা বিংশ শতিকাৰ চতুর্থ দশকলৈকে অসমীয়া ভাষা, সাহিত্য আৰু জাতীয় চেতনাৰ ঘাই ভাৰ-শক্তিয়ে বেজবৰুৱাৰ ব্যক্তিত্বৰ মাজেদি সর্বোচ্চ অভিব্যক্তি লাভ কৰিছিল। বেজবৰুৱাই আমাৰ প্রাচীন সাহিত্যৰ পথা গাঁৱে-ভূঞে সিঁচৰিত হৈ থকা লোক-সাহিত্যলৈকে, অসমৰ মানুহৰ বুৰঞ্জীৰ পৰা ভাষাৰ বুৰঞ্জীলৈকে, সাহিত্যৰ সৌন্দর্যৰ পৰা লোক-জীৱনৰ সৌন্দর্যলৈকে সকলোৰে বিশেষত্ব, গুৰুত্ব আৰু সৌন্দর্য ন-কৈ দাঙি ধৰিছিল। কেৱল সেয়ে নহয়, ভাষাৰ মান্যৰূপ প্রতিষ্ঠা কৰাত, অসমীয়া ভাষাৰ বিৰুদ্ধ শক্তিসমূহক প্রতিহত কৰাত, আনকি পশ্চিম বংগৰ লগত চামিল কৰিব খোজা অবিভক্ত গোৱালপাৰা জিলাৰ অসমৰ অবিচ্ছেদ্য অংগ স্বৰূপে থকা ইয়াৰ বৈশিষ্ট্য দাঙি ধৰাৰ দায়িত্বও তেওঁ লৈছিল। এহাতে ভাৰতীয় ঐতিহ্যৰ লগত থকা অসমৰ সাংস্কৃতিক ঐতিহ্যৰ নাড়ীৰ সম্পর্ক দেখুওৱা, আনহাতে দক্ষিণ-পূব এছিয়াৰ লগত থকা ৰক্তৰ সম্পর্ক দেখুওৱা— এই দুয়োটা কামো বেজবৰুৱাই কৰি গৈছিল। তেওঁ অসমৰ বিভিন্ন নৃ-গোষ্ঠীজাত সম্প্রদায়সমূহক লৈয়েই যে অসমীয়া জাতি আৰু সংস্কৃতি গঢ় লৈ উঠিছে সেই বিষয়েও অধ্যয়নৰ পথ কাটি দি গৈছে। সংমিশ্রণত গঢ় লৈ উঠা অসমীয়া জাতিৰ পৰিচয় স্থাপনৰ বিদ্যায়তনিক ভেটিও এই সময়ছোৱাতে প্রতিষ্ঠিত হয়। কেৱল ৰাজনৈতিক ইতিহাসে নহয়, এই সময়ছোৱাৰ আমাৰ জাতীয় সামাজিক আৰু অর্থনৈতিক জীৱন সামৰি লৈ আন্তৰিকতাৰে অথচ নির্মোহ আৰু সততাৰে লিখা সামাজিক বুৰঞ্জী এখনেহে সমগ্র অতীত স্পষ্ট কৰি তুলিব। তাৰবাবে, অসমৰ প্রতিটো অঞ্চলৰ জন-জীৱনৰ সামাজিক সাংস্কৃতিক বুৰঞ্জীৰ সমল সংগ্রহ কৰি ল'ব লাগিব। আঞ্চলিক বুৰঞ্জীৰ সমল অবিহনে জাতীয় বুৰঞ্জী সম্পূর্ণ হ'ব নোৱাৰে। আমাৰ গৱেষকসকলক এনে ইতিহাস প্রণয়নৰ বাবে আহ্বান জনাওঁ।

তিনি

আমি যেতিয়া অসমীয়া জাতিৰ কথা কওঁ তেতিয়া ইতিহাসে ঢুকি পোৱা কালৰ আগৰে পৰা চামে চামে অহা বিভিন্ন নৃ-গোষ্ঠীজাত সামাজিক গোটসমূহৰ সংশ্লেষণত গঢ় লৈ উঠা জাতি এটাৰ কথাই কওঁ। শ্রীমন্ত শংকৰদেৱে কৈ যোৱা—

"কিৰাট কছাৰী খাছী গাৰো মিৰি
যৱন কঙ্ক-গৰাল" সকলোকে সামৰি লৈয়েই আমি অসমীয়া জাতিৰ ৰূপ কল্পনা কৰোঁ। জ্যোতিপ্রসাদেও তেনেকৈয়ে কৰিছিল ঃ

"ময়েই খাছীয়া
মই জয়ন্তীয়া
ডফলা আৰ�ু-আঁকা,
ময়ে চিংফৌ
ভৈয়ামৰ মিৰি
সোৱণশিৰীয়া ডেকা,
বিজয়ী আহোম কছাৰী-কৌচৰ
মেছৰ কুমাৰ মই— ৰাজবংশী ৰাভা
কপালত জ্বলে শত গৌৰৱ আভা।
মই, লালুং-চুতীয়া-লুচাই-মিকিৰ-গাৰো
মিছিমি-খামতি নগা আংগামী বীৰ
পর্বতে-পাহাৰে জ্বলিছে উচ্চ শিৰ।
সাম্য-মৈত্রীৰ ময়েই ৰণুৱা
চাহ-বাগিচাৰ ময়েই বনুৱা
ন-অসমীয়া মৈমনছিঙীয়া
থলুৱা নেপালী

নৃত্য-কুশলী মণিপুৰীয়া মই।
মই, কত পৰ্বতৰ
কত ভৈয়ামৰ
শত নিজৰাৰ ধাৰ
হিলদল ভাঙি
বৈ আহি আহি
ৰৰলুইতত
হৈ যাওঁ একাকাৰ।"

কিন্তু সাম্প্ৰতিক কালৰ অসমৰ মাজত অসমীয়া জাতিৰ সেই সংশ্লেষণ ভাগি যোৱাৰ উপক্ৰম দেখি আজি অনেকেই চিন্তিত। এতিয়া বড়ো, কাৰ্বি, মিছিং, ৰাভা, ডিমাছা, টিৱা আদি প্ৰতিটো ভাষিক জনগোষ্ঠীয়েই অসমীয়া বৃত্তটোৰ পৰা যেন বিচ্ছিন্ন হৈ যাব খুজিছে। জ্যোতিপ্ৰসাদৰ খাছী-জয়ন্তীয়াসকল, ডফলা-আবৰ-আঁকা-চিংফৌসকল, লুচাই-মিছিমি-খামতি-গাৰো-নগাসকল, মণিপুৰীসকল কেতিয়াবাই আঁতৰি গৈছে। এতিয়া বড়োসকলৰ একাংশই আঁতৰি যাবলৈ বিচাৰি হাতত অস্ত্ৰতুলি লৈছে, কাৰ্বিসকলে ৰাজ্যৰ ভিতৰতে 'ৰাজ্য'ৰ ধাৰণাৰে ক্ষমতা বিচাৰিছে, মিছিং, ৰাভা, টিৱাসকলে স্বায়ত্ত-শাসন বিচাৰিছে। চাৰিওফালে বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা প্ৰায় আবৃত হৈ থকা এই সমগ্ৰ উত্তৰ-পূৰ অঞ্চলটোৰ সামাজিক জীৱনত আৰম্ভ হ'বলৈ ধৰা এই খহনীয়া দেখি স্বাভাৱিকতে শংকা হৈছে ভৱিষ্যতৰ কথা ভাবি। অসমকো স্বাধীন ৰাষ্ট্ৰলৈ ৰূপান্তৰ ঘটোৱাৰ স্বপ্নয়ো এচাম সংৱেদনশীল যুৱকক উদ্বাউল কৰিছে। কিন্তু, যিবোৰ মানৱীয় সুকুমাৰ ভাৱৰ ক্ৰমবিকাশৰ ভিত্তিত আমাৰ সংস্কৃতিয়ে গঢ় লৈছে, আমাৰ মনুষ্যত্ব বিকশিত হৈছে, সেই মানৱীয় গুণবোৰ বলি দি আমি কোনখন দেশ গঢ়ি তুলিব পাৰিম?

দেশ মানে ভূগোলৰ নিৰ্জীৱ মানচিত্ৰ নহয়; দেশ মানে মানুহ। মানুহে বাস্তৱ প্ৰয়োজনত গঢ়ি তোলে দেশ আৰু দেশৰ এক বিমূৰ্ত ধাৰণাৰ লগত জড়িত হৈ পৰে মানুহৰ আৱেগ। এই দেশ গঢ়ি তোলা মানুহ মাটিৰ তলৰ পৰা উদ্ভিদৰ দৰে গজি নাহে; মানুহ বাঢ়ি আহে পৰস্পৰৰ মাজত হোৱা জৈৱিক আৰু সাংস্কৃতিক সম্পৰ্কৰ মাজেদি । দৰাচলতে সকলো ক্ৰমবৰ্ধমান জাতি, সভ্যতা আৰু সংস্কৃতি বৰ্ণসংকৰ। ৰাজনৈতিক আৰু প্ৰাকৃতিক কাৰণত যিদৰে ভৌগোলিক মানচিত্ৰৰ সাল-সলনি ঘটে, তেনেদৰে বিভিন্ন নৃ-গোষ্ঠীৰ আৰু ভাষিক গোষ্ঠীৰ প্ৰব্ৰজন আৰু সংমিশ্ৰণৰ ফলত নৰৰক্ত আৰু ভাষাৰ সংমিশ্ৰণ, পৰিবৰ্তন আৰু পৰিবৰ্ধন ঘটে। অসমীয়া মানুহ, অসমীয়া ভাষা আৰু অসমীয়া মানুহ, ভাষা আৰু সংস্কৃতিক কোনেও বাহিৰৰ পৰা ডাল ধৰি আনি ইয়াত ৰুই থৈ যোৱাহি নাই। যিসকলে আজি 'অসমীয়া' নামৰ বৃত্তটোৰ পৰা ওলাই যাবলৈ বিচাৰিছে, সেই সকলৰ পূৰ্বপুৰুষসকলেই বৰ্তমানৰ অসমীয়া জাতি, ভাষা আৰু সংস্কৃতি নিজৰ প্ৰয়োজনত গঢ়ি তুলি, সেই নামে�ৰেই পিছলৈ চিহ্নিত হ'ল। সেই পূৰ্বপুৰুষসকলৰ আগমনৰ পিছত অহা পুৰুষসকলৰ অনেকে, নিজৰ সীমিত পৰিসৰৰ মাজত, লগত লৈ অহা ভাষা ব্যৱহাৰ কৰি থাকিল। ফলত, অনেকে ভাৱে যে এতিয়াও গোষ্ঠীগত ভাষা ব্যৱহাৰ কৰি থকাসকলহে ঘাই থল-গিৰি, অসমীয়া ভাষা কোৱাসকল পিছত অহা। নৃ-তাত্ত্বিক, সামাজিক আৰু সাংস্কৃতিক ইতিহাসে এই তত্ব শুদ্ধ বুলি ক'ব নোখোজে।

অসম— এই নামটো অৰ্বাচীন। ত্ৰয়োদশ শতিকাত আহোম সৈন্যসকলে চুকাফাৰ নেতৃত্বত আহি এই অঞ্চল সোমোৱাৰ অনেক পিছতহে আহোম ৰজাই শাসন কৰা দেশ বুজাবলৈ 'অসম' আৰু অসমৰ বাসিন্দাসকলক বুজাবলৈ 'অসমীয়া' শব্দ দুটা ব্যৱহৃত হ'বলৈ ধৰিলে। চুকাফাই আহি লগ পোৱা ৰৰাহী, মৰাণ, চুতীয়া আদি পূৰ্বৰ জনসমষ্টিয়ে এটা চহকী ভাষা ব্যৱহাৰ কৰি আছিল। তদুপৰি, পৰৱৰ্তী কালত আহোম ৰজাই সেই ভাষাৰেই খাছী, জয়ন্তীয়া, ত্ৰিপুৰা, মণিপুৰী, ডিমাছা, কছাৰী, কোঁচ ৰজাসকলৰ লগত যোগাযোগ কৰিছিল। সেই ভাষাৰেই নগাৰ বিভিন্ন ফৈদৰ লগতো কথা-বতৰা হৈছিল। অৰ্থাৎ বৰ্তমানৰ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ইয়েই আছিল উমৈহতীয়া মাধ্যম।

আমি যদি ত্ৰয়োদশ শতিকাৰ আগলৈ উজাই যাওঁ তেনেহ'লে আমাক ঐতিহাসিক তথ্যই ক'ব যে প্ৰায় প্ৰথম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে প্ৰাগজ্যোতিষপুৰ— এই নামেৰে চিহ্নিত এই দেশখনত নৰক ভৌম বংশ, বৰ্মন বংশ, শালস্তম্ভ বংশ আৰু পাল বংশ— এই চাৰিটা মূল বংশেই ৰাজত্ব কৰিছিল। সময়ে সময়ে এই দেশ কামৰূপ নামেৰেও উল্লিখিত হৈছিল। 'যোগিনীতন্ত্ৰ'ত কামৰূপৰ সীমা 'কৰতোয়াং সমাৰভ্য যাবদ্দিকৰ বাসিনী", অৰ্থাৎ, কৰতোৱা, অৰ্থাৎ, বৰ্তমানৰ বিহাৰৰ তিস্তা

নদীৰ পৰা দিকৰাই, অৰ্থাৎ, ডিব্ৰুং নৈলৈকে, অথবা কোনো কোনোৰ মতে 'দিক্ষু' অথবা দিখৌলৈকে ব্যাপ্ত আছিল। এই 'কামৰূপ' নামটো ৩য়/৪র্থ শতিকাৰ সমুদ্রগুপ্তৰ 'এলাহাবাদৰ স্তম্ভ লিপি'তো উল্লিখিত হৈছে। পঞ্চম শতিকাৰ উমাচল লিপিৰ পৰা গাছতল-লিপিলৈকে প্রাচীন তাম্রশাসন আৰু শিলালেখসমূহে সংস্কৃত ভাষাৰ আৰু তাৰ বাবে ব্যবহৃত স্থানীয় লিপিৰ নিদর্শন ধৰি ৰাখিছে। বামুণীপাহাৰৰ ধ্বংসাৱশেষ, দ-পর্বতীয়াৰ শিলামূর্ত্তি, নুমলীগড়ৰ পৰা সৰু পথাৰলৈকে ধনশিৰিৰ পাৰৰ অঞ্চলত পোৱা প্রাচীন লিপি আৰু মূর্তি— এই আটাইবিলাকে প্রাচীন ভাৰতীয় সংস্কৃতিৰ মূল সুঁতি এটা প্রাগজ্যোতিষপুৰ বা কামৰূপলৈ বৈ অহাৰ নিশ্চিত প্রমাণ দিয়ে। আনহে নালাগে, ৰজাসকলৰ নামেই সংস্কৃত ভাষাৰ পৰিচয় বহন কৰিছে। অর্থাৎ ইতিহাসে তথ্য-পাতি দিব পৰাৰ আগৰে পৰা ভাৰতীয় আর্যভাষাৰ এটা সুঁতি এইফালে বৈ আহিছিল। অনেকে ক'ৰ খোজে যে আর্যভাষীসকলৰ আলপাইন গোষ্ঠীৰ এটা দল ব্রহ্মপুত্রৰ উত্তৰ পাৰে আহি এই অঞ্চল সোমাইছিলহি ইতিহাসে ঢুকি পোৱা কালৰ আগতে। সেই সময়ত ইয়াত জানো মানুহ নাছিল? হয়তো, বা, নিশ্চয় আছিল; কিন্তু কোন আছিল আমি কৈ দিব নোৱাৰোঁ। পিছে, অসমীয়া মানুহৰ নৃ-তাত্ত্বিক লক্ষণবোৰ বিচাৰ কৰি দেখা যায় কিৰাতীয় গোষ্ঠীৰ অর্থাৎ মংগোলীয় নৃ-গোষ্ঠগত লক্ষণবোৰেই অসমীয়া ভাষী মানুহৰ গা-ত সর্বাধিক। তাত অষ্ট্রিক, আলপাইন, দ্রাবিড় আদি নৃ-গোষ্ঠীৰ আৰু ককেছীয়া নৃ-গোষ্ঠীৰ মিশ্রণ ঘটিছে যদিও, মাত্রা বৰ কম। আমাৰ নৃ-তাত্ত্বিক অধ্যয়নে প্রমাণ কৰিছে যে নিজকে ককেছীয় আর্য বংশোদ্ভৱ বুলি দাবী কৰা অসমৰ মুষ্টিমেয় ব্রাহ্মণ পৰিয়ালতো তেজৰ মিশ্রণ এনেভাৱে ঘটিছে যে তেওঁবিলাকৰ তেজত শতকৰা সাতষষ্ঠি ভাগ অনা-ককেছীয়া বা অনা-আলপাইন তেজ পোৱা গৈছে। ইয়াৰ এটা প্রধান কাৰণ, বাট-পথৰ কোনো সুবিধা নথকা, যান-বাহন নথকা সময়ত এঠাইৰ পৰা আনঠাইলৈ প্রব্রজন কৰি অহা পুৰুষসকলে নতুন ঠাইৰ স্থানীয় তিৰোতাৰ লগতে সংসাৰ পাতিছিলহি। এতেকে, এটা বিশেষ নৃ-গোষ্ঠী বা নৃ-সম্প্রদায়ৰ ভিত্তিত অসমীয়া ভাষী মানুহ গঢ় লৈ উঠা নাই। ই বিভিন্ন নৃ-গোষ্ঠীৰ সংমিশ্রণৰ ফলত সৃষ্টি হোৱা এটা বর্ণসংকৰ সম্প্রদায়। কোঁচ-কলিতা, আহোম-চুতীয়া, গোসাঁই-ব্রাহ্মণ, কছাৰী-কৈবর্ত আদি বিভিন্ন নামেৰে জনাজাত অসমীয়া ভাষী সকলৰ প্রত্যেকেই মিশ্রিত তেজৰ মানুহ। পৃথিৱীৰ কোনো শক্তিশালী আৰু সমৃদ্ধিশালী জাতিৰ ভাষা আৰু সংস্কৃতি অকলশৰে গঢ় লৈ উঠা নাই, উঠিব নোৱাৰে। অসমীয়া জাতিও এনে সংশ্লেষণত গঢ় লৈ উঠিছে। অসমীয়া ভাষী মানুহৰ কথা ভাবোঁতে এই সংশ্লেষণৰ কথা পাহৰিব নালাগিব। অসমীয়া ভাষাও এনে সংশ্লষণৰ ফল।

কুমাৰ ভাস্কৰ বর্মাৰ ৰাজ্যৰ যিটো ভাষা হিউৱেন চাঙে মধ্য ভাৰতৰ ভাষাৰ লগত কিছু মিলে বুলি কৈছিল, সেই ভাষাটোৱেই বর্তমানৰ অসমীয়া ভাষাৰ প্রাথমিক ৰূপ। মাগধী অপভ্রংশৰ লগত ইয়াৰ ঘাই সুঁতিটোৰ সম্পর্ক থকাৰ বাবেই হিউৱেন চাঙে ইয়াৰ এই বৈশিষ্ট্য লক্ষ্য কৰিছিল। আনহাতে এই ভাষাটোৰ বাক্য-গাঁথনিকে ধৰি ইয়াৰ ৰূপতাত্ত্বিক আৰু ইয়াৰ ধ্বনিতাত্ত্বিক বিশেষত্বসমূহ অন্যান্য ভাৰতীয় ভাষা সমূহৰ পৰা পৃথক হোৱাৰ ঘাই কাৰণ হ'ল— চীন-তিব্বতীয় ভাষা মূলৰ পৰা উদ্ভৱ হোৱা বিভিন্ন পৃথক পৃথক ভাষা কোৱা লোকসকলৰ ভাষাৰ উপাদান এই ভাষাই ইয়াৰ জন্ম আৰু বিকাশৰ প্রথম স্তৰতে গ্রহণ কৰি লোৱাটো। চীন-তিব্বতীয় মূলৰ দুটা প্রধান শাখা শ্যাম-চীনীয় আৰু তিব্বেতো-ব্রহ্মীৰ ভিতৰত তিব্বেতো-ব্রহ্মীৰ পৰাই বিভিন্ন শাখ-প্রশাখাত বিভক্ত হৈ অসমৰ প্রায়বোৰ জনগোষ্ঠীয় ভাষা ওলাইছে। এই ভাষসমূহৰ ঘাই বৈশিষ্ট্য হ'ল ইবিলাকৰ সুৰীয়া (tonal) চৰিত্র একোটা ধ্বনি বা উপ-ধ্বনিৰ উচ্চাৰণৰ হ্রস্বতা আৰু দীর্ঘতাৰ ওপৰত অর্থৰ পৃথকতা নির্ভৰ কৰে। প্রসংগক্রমে উল্লেখযোগ্য যে সেইবাবেই এই ভাষাসমূহৰ বর্ণমালা নাই। চীনা ভাষাৰ দৰে অতি প্রাচীন ভাষাও সেইবাবে চিত্রলিপিৰে লিখা হয়। এই চিত্রলিপি বেলেগ বেলেগ ৰূপত তিব্বত, লাওচ, কম্বোদিয়া, জাপান, মালয়েছিয়া আদি দক্ষিণ পূৰ এছিয়াৰ প্রায়বোৰ দেশত প্রচলিত হৈ আহিছে। কেবল টাইসকলৰ এটা লিপি আছে, আৰু এই লিপিটো সিংহলৰ পৰা বৌদ্ধধর্মৰ ত্রিপিটকৰ লগত যোৱা ভাৰতীয় লিপিৰ ৰূপভেদ মাত্র।

তিব্বেতো-ব্রহ্মী গোটৰ বিভিন্ন ভাষা কোৱা যিবোৰ সৰু সৰু জনগোষ্ঠী (tribe) আর্যভাষাৰ সুঁতিটো অহাৰ আগতে ইয়াত থকাৰ সম্ভাৱনা আছিল সেইসকলে যে ইটো ফৈদে সিটো ফৈদৰ ভাষা বুজা সম্ভৱ নাছিল সেই সম্পর্কে সন্দেহ নাই। কাৰণ প্রত্যেকৰে ধ্বনি-উপ-ধ্বনি হ্রস্বত্ব-দীর্ঘত্বই প্রকাশ কৰা অর্থও স্বাভাৱিকতে ভিন্ ভিন্ আছিল। আর্যভাষাৰ সুঁতিটোৱে যিহেতু স্থিৰ অর্থ থকা, শ্বাসাঘাত-প্রধান শব্দাৱলী লৈ আহিল, সেই ভাষাই আটাইবে বাবে উমৈহতীয়া মাধ্যম এটা গঢ়ি তোলাৰ বুনিয়াদ এটি গঢ়ি দিলে। এতেকে বিভিন্ন ভাষা কোৱা, অষ্ট্রিক, দ্রাবিড় আদিৰ উপৰি বিশাল কিৰাতীয় জনসমষ্টিৰ বিভিন্ন শাখা-

প্রশাখাই নিজৰ নিজৰ ভাষিক উপাদানেৰে এই উমৈহতীয়া মাধ্যমটো সমৃদ্ধ কৰি তুলিলে। ড বাণীকান্ত কাকতিৰ Assamese : Is Formation and Development এ তাৰ স্পষ্ট সাক্ষ্য বিজ্ঞানসম্মতভাবে দঙি ধৰিছে। এগাৰ্‌ছনে তেওঁৰ Kachari Folk Tales amd Rhymes নামৰ কিতাপখনৰ পাতনিতে যোৱা শতিকাতে এষাৰ উল্লেখযোগ্য কথা কৈছে। তেওঁ কৈছে যে "বড়ো আৰু অসমীয়াৰ বাহিৰে মই এনে দুটা ভাষা ক'তো পোৱা নাই, যাৰ বাক্য গাঁথনিৰ ৰীতি (Syntax) হুবহু একে"। ইয়েই ইংগিত দিয়ে যে আমাৰ যি সকলৰ পূর্বপুৰুষে এসময়ত বড়ো ভাষাৰ বিভিন্ন শাখা-প্রশাখা মাতৃভাষা স্বৰূপে ব্যৱহাৰ কৰি আহিছিল, তেওঁবিলাকেই নিজৰ বাক্য-গাঁথনিৰ সাঁচত আর্যভাষাৰ শব্দাৱলী সুমাই লৈ আৰু অন্যান্য উপাদানেৰেও এই উমৈহতীয়া ভাষাটোৰ জন্ম দিলে আৰু কালক্রমত সেইটোকে নিজৰ মাতৃভাষালৈও ৰূপান্তৰ কৰিলে। এতেকে, অসমীয়া মাতৃভাষা স্বৰূপে ব্যৱহাৰ কৰাসকল বহিৰাগত নহয়, পুৰণি থলুৱা জনগোষ্ঠীৰে উত্তৰ পুৰুষ পিছৰ কালত, বিশেষকৈ আহোম যুগত যিসকল কাৰিকৰী বিদ্যা জনা বৃত্তিয়াল লোকক আহোম ৰজাই বাহিৰৰ পৰা আনিছিল, তেওঁবিলাকৰ সতি-সন্ততিৰো ই মাতৃভাষা আছিল। কাৰণ তেওঁবিলাকে এৰি অহা দেশৰ লগত সম্পর্ক ৰাখিব নোৱাৰিছিল আৰু ইয়াৰ থলুৱা নাৰীৰে নিজৰ নিজৰ সংসাৰ পাতি লৈছিল। সূর্য কুমাৰ ভূঞাঁই তেখেতৰ Anglo Assamese Relations ত কৰা তথ্যভিত্তিক আলোচনাই তাৰ ইংগিত দি গৈছে।

অসমীয়া শব্দটো কেৱল ভাষা-বাচকেই নহয়, ই বিভিন্ন নৃ-গোষ্ঠী আৰু সম্প্রদায়ৰ সম্মিলিত চৰিত্র-বাচকো। কিন্তু ঊনবিংশ শতিকাত গঢ় লৈ উঠা ভাষা-ভিত্তিক জাতীয় চেতনাৰ সক্রিয় ভূমিকাৰ বাবে অসমীয়া জাতীয়তাৰ পৰিচয় ভাষাৰ ভিত্তিত গঢ় লৈ উঠে। আমাৰ বিভিন্ন জনগোষ্ঠীয় ভাষাভাষীসকলৰ মাজৰ পৰা ওলাই অহা যি কেইগৰাকী শিক্ষাপ্রাপ্ত লোক আছিল তেওঁবিলাকেও অসমীয়া ভাষাৰ মাধ্যমতে আত্মপ্রকাশ কৰিছিল। বৃটিছৰ শাসনকালত বিদ্যালয়সমূহ কেৱল জিলাৰ সদৰ ঠাইতহে প্রতিষ্ঠিত হৈছিল। মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা জাতীয় মুক্তি আন্দোলনৰ সময়ত জনসাধাৰণৰ যত্নত কিছু সংখ্যক বিদ্যালয় গঢ় লৈ উঠিলেও, অসমৰঅনগ্রসৰ অঞ্চলৰ বিভিন্ন জনগোষ্ঠীয় লোকসকলক স্পর্শ কৰিবগৈ পৰা নাছিল। এতেকে কেৱল অসমৰে নহয়, ভাৰতৰ অন্যান্য ঠাইৰ জনগোষ্ঠীয় ভাষাভাষীসকলেও শিক্ষাৰ পোহৰ পোৱা নাছিল। এনে এক পটভূমিত ভাষাচার্য ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ দৰে পণ্ডিতেও আনকি ১৯৪৮ খ্রীঃত "ভাৰতৰ ভাষা সমস্যা" নামৰ গ্রন্থত ভৱিষ্যদ্বাণী কৰিছিল যে বড়ো ভাষা অসমীয়াৰ লগত আৰু চাওতালী ভাষা বাংলাৰ লগত মিলি যাব। কিন্তু ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পিছত যেতিয়া অনগ্রসৰ অঞ্চলবিলাকতো বিদ্যালয় প্রতিষ্ঠিত হ'ল, প্রত্যেক জনগোষ্ঠীয় ভাষীসকলৰ মাজত লাহে লাহে গঢ় লৈ উঠিল একোটি শিক্ষিত মধ্যবিত্ত শ্রেণী। যেতিয়াই একোটা সামাজিক গোটৰ মাজত শিক্ষিত মধ্যবিত্ত শ্রেণী এটাৰ পত্তন হয়, স্বাভাৱিকতে সেই সমাজৰ নিজৰ ভাষা-সংস্কৃতিৰ ভিত্তিত জাতিসত্তাৰ পৰিচয় প্রতিষ্ঠাৰ আকাংক্ষা সৃষ্টি হয়। ষাঠিৰ দশকৰ পৰা আমাৰ জনগোষ্ঠীয় সামাজিক জীবনতো এনে ভাবে একোটি জাতীয় সাংস্কৃতিক আকাংক্ষা গঢ় লৈ উঠিল; আৰু ড° চট্টোপাধ্যায়ৰ দৰে পণ্ডিতৰ ভৱিষ্যদ্বাণীও বৰং অসত্য প্রমাণিত হ'ল। অসমৰ' ৬০ চনৰ ৰাজ্যভাষা আন্দোলনৰ ফলত একশ্রেণী ভাষিক জনগোষ্ঠীয় শিক্ষিতৰ মনত এনে এটা ভয় সোমাল যে শক্তিশালী অসমীয়া ভাষাই কিজানি সৰু ভাষাসমূহ হেঁচা মাৰি ধৰে। মানুহে যেতিয়া কাৰোবাৰ পৰা অপকাৰ হ'ব বুলি ভাবি ভয় কৰে, সেই ভয়ৰ লগত ক্রমাৎ ঘৃণা আৰু বিদ্বেষো গোট খাবলৈ ধৰে। আনহাতে, অসমীয়া ভাষীসকলেও, যোৱা শতিকাৰ পৰা বাংলা ভাষাৰ হেঁচাৰ পৰা নিজক মুক্ত কৰি ভাষাটোক স্থিৰ কৰি তোলাৰ পিছত এতিয়া সৰু সৰু সামাজিক গোটৰ ভাষাসমূহৰ উত্থানে পুনৰ ক্ষতিগ্রস্ত কৰিব পাৰে বুলিও ভয় নোখোৱা নহয়।

ইয়াৰ বাৰ বছৰৰ পিছত হোৱা মাধ্যম-আন্দোলনৰ মাজত অসমীয়া ভাষাক অন্যান্য ভাৰতীয় ভাষাৰ সমান মর্যাদা দাবীয়েই প্রধান আছিল যদিও, ইয়াৰ ফলত যেন জনগোষ্ঠীসকলৰ শংকা বৃদ্ধি পালে। আনহাতে, অসমত থকা বঙালী ভাষী অসমীয়াসকলৰ মনতো অসমীয়া-বিদ্বেষৰ ভাব গঢ় লৈ উঠিল। অসমৰ এই দুয়োটা আন্দোলনৰ সময়ত এচাম কলিকতীয়া কাকতৰ ভূমিকা আছিল অত্যন্ত ক্ষতিকাৰক। সাম্প্রদায়িক অশান্তি উপশম কৰিবৰ কাৰণে যত্ন কৰাৰ পৰিবর্তে এই কাকত চামে অসমত সাম্প্রদায়িক অশান্তি বৃদ্ধি কৰাত ইন্ধন যোগাইছিল। অসমৰ বাঙালীসকলক অধিক বাঙালী কৰি তুলিবৰ বাবে আৰু অসমীয়া-ভাষীসকলৰ লগত এটা বিদ্বেষৰ সম্পর্ক সৃষ্টি কৰিবৰ কাৰণে কৰা এনে যত্ন আমাৰ ভাৰতীয় সাংবাদিকতাৰ আৰু আমাৰ সমাজ-জীবনৰো এটা কলংকিত অধ্যায়। এই অবাঞ্ছনীয় পৰিবেশত মানুহৰ ভিতৰৰ মানুহটো যেন হেৰাই গৈছিল।

এনে এক পটভূমিত অসমৰ জনগোষ্ঠীয় ভাষা-ভাষীসকলৰ মনতো প্ৰতিক্ৰিয়া ঘটাটো আছিল এক স্বাভাৱিক ঘটনা। আমাৰ প্ৰধান সম্পাদকত্বৰ কালতে, অসম সাহিত্য সভাই এই অৱস্থা প্ৰত্যক্ষ কৰি ১৯৭৩ চনত প্ৰথমবাৰৰ বাবে আয়োজন কৰা "লেখক-শিবিৰ"ৰ প্ৰথম দিনটো "থলুৱা ভাষাৰ অৱস্থা আৰু মৰ্যাদা" সম্পৰ্কে আলোচনাৰ বাবে ধাৰ্য কৰি ৰঙৈ, কাৰ্বি, মিচিং, ৰাভা, ডিমাছা, টিৱা আদি ভাষাগোষ্ঠীৰ লেখকসকলক নিমন্ত্ৰণ কৰি আনিছিল। কিন্তু, তেতিয়ালৈকে যেন মানসিক দূৰত্ব কিছু বাঢ়ি গৈছিল।

আজি এক বিষাদেৰেই সুঁৰৰিছোঁ যে ১৯৭৪ চনত বড়ো ভাষাৰ লিপিৰ বাবে হোৱা আন্দোলনৰ সময়ত আমি ভাষাটোৰ ভৱিষ্যতৰ বিকাশৰ কথা আমাৰ দৃষ্টিকোণেৰে আন্তৰিকতাৰেই বিচাৰ কৰিছিলো যদিও, তাৰ ফলত বড়োভাষী লোকৰ মনত অসমীয়া লিপি জাপি দিয়াৰ বাবে যত্ন কৰা বুলি ধাৰণা হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত আমি আমাৰ দৃষ্টিভংগী সলাই লৈ, আমাৰ থলুৱা জনগোষ্ঠীয় ভাষাসমূহৰ বাবে কি লিপি উপযোগী হ'ব সেই বিষয়ে সংশ্লিষ্ট জনগোষ্ঠীৰ সিদ্ধান্ত শেষ সিদ্ধান্ত স্বৰূপে সকলোকে গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিলো। অসম সাহিত্য সভাৰ এই দৃষ্টিভংগী পুনৰ আমি মুকলিকৈ ঘোষণা কৰোঁ যাতে কোনো ভাষিক জনগোষ্ঠীৰ মনতে অসমীয়া ভাষাই সিসকলৰ ভাষাৰ ওপৰত অবাঞ্ছিত প্ৰভাৱ পেলাব পাৰে বুলি বিন্দুমাত্ৰ সন্দেহৰ অৱকাশ নাথাকে।

অসমৰ জনগোষ্ঠীয় ভাষা-ভাষীসকলৰ মনত নিজৰ ভাষা আৰু জাতিসত্তাৰ পৰিচয় প্ৰতিষ্ঠাৰ আকাংক্ষাৰ প্ৰতি আমাৰ আছে আন্তৰিক সন্মান আৰু শুভেচ্ছা। অসম-আন্দোলনৰ পৰিপ্ৰেক্ষিতত যেতিয়া অনেকে এই আন্দোলনৰ ওপৰত অসমীয়া ভাষিক জাতীয়তাবাদী আন্দোলনৰ পৰিচয়-লিপি লগাই দিবলৈ চেষ্টা কৰিছিল, সভাৰ পক্ষৰ পৰা অসমৰ সকলো থলুৱা ভাষা-সাহিত্যৰ অনুষ্ঠানৰ সহযোগত ভাষা-সমন্বয় সমিতি গঠন কৰা হৈছিল। পিছলৈ ইয়াক 'ভাষা-মঞ্চ'লৈ ৰূপান্তৰ কৰা হয়। অৱশ্যেই এই মঞ্চক সক্ৰিয় আৰু কাৰ্যক্ষম কৰি তুলি আমাৰ থলুৱা ভাষা-সাহিত্যৰ বিকাশৰ বাবে উমৈহতীয়া কাৰ্যসূচীৰ আধা�ৰত কাম কৰাৰ পথ প্ৰশস্ত কৰি তুলিব লাগিব। এই মঞ্চত কোনো সৰু বৰৰ প্ৰশ্ন নাৰাখি আমি সকলোবে সমান মৰ্যাদা আৰু অধিকাৰৰ ভিত্তিত আমাৰ উমৈহতীয়া সমস্যাৰ আৰু প্ৰত্যেকটি গোটৰ বিশেষ সমস্যাৰ সমাধানৰ পথ বিচাৰি উলিয়াব পাৰিম বুলি বিশ্বাস কৰোঁ। মই অনুভৱ কৰিছোঁ, আমাৰ জাতীয় সমাজ-জীৱনত ঘটা বিশ্বাসৰ খহনীয়া বোধ কৰিব নোৱাৰিলে আমি পৰস্পৰৰ পৰা বিচ্ছিন্ন হ'ম। এনে বিচ্ছিন্নতা আমাৰ সকলোবে বাবে ক্ষতিৰ কাৰণ হ'ব পাৰে।

বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ভিত্তিত গঢ় লৈ উঠা মানুহৰ সভ্যতা এটা বিশ্ব-সভ্যতাৰ ফালে ধাৱমান হৈছে। আৰ্নল্ড টয়নবিয়ে মানুহৰ সভ্যতাৰ ইতিহাস বিশ্লেষণ কৰি কৈছে যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ লগত সম্পৰ্ক ৰাখি নিজৰ নিজৰ সভ্যতা আৰু সংস্কৃতিৰ ৰূপান্তৰ নঘটালে কোনো সভতাই বাচি থাকিব নোৱাৰিব। আমি যদি এই প্ৰত্যাহ্বান গ্ৰহণ নকৰি জীৱনবৃত্তক ক্ষুদ্ৰ আৰু সংকীৰ্ণ কৰোঁ, আমাক অনাগত দিনৰ সংকটৰ পৰা কোনো মহাশক্তিয়ে ৰক্ষা কৰিব নোৱাৰিব।

আমাৰ ৰাজ্যখনত বিভিন্ন সামাজিক গোটৰ মাজত ঘটা বিশ্বাসৰ খহনীয়া প্ৰতিৰোধ কৰিবলৈ আৰু বিশ্ব-সভ্যতাৰ অগ্ৰগতিৰ পটভূমিত আমাৰ সামাজিক জীৱনৰ অগ্ৰগতি সাধন কৰিবলৈ আমি ঊনবিংশ শতিকাত গঢ় লৈ উঠা ভাষিক জাতীয়তাবাদৰ পূৰ্বৰ দৰ্শন সলাই লোৱাটোৱেই হ'ব লাগিব প্ৰাথমিক কাম। এই দৰ্শন এতিয়া নিজৰ নিজৰ ভাষা আৰু সাহিত্যিক সমৃদ্ধ কৰাৰ দৰ্শনলৈ ৰূপান্তৰ কৰিব লাগিব।

মই আগতেই কৈ আহিছোঁ অসমীয়া জাতি, ভাষা আৰু সংস্কৃতিৰ জন্ম আৰু বিকাশৰ দীঘলীয়া ইতিহাস সংশ্লেষণৰ ইতিহাস। প্ৰাগৈতিহাসিক কালৰ পৰা ঊনবিংশ শতিকালৈকে এই সংশ্লেষণ ঘটি আহিছিল এক স্বাভাৱিক সামাজিক-ঐতিহাসিক প্ৰক্ৰিয়া স্বৰূপেই। ১৮৩৭ খ্ৰীষ্টাব্দত মেক কোৱে তেওঁৰ 'টপ'গ্ৰাফী অব আছাম'ত পৰ্বতৰ পৰা ভৈয়ামলৈ নামি অহা মানুহো কেনেকৈ ভৈয়ামৰ সমাজৰ লগত মিলি গৈ অসমীয়া হৈ পৰিছিল তাৰ সন্ধেদ দি গৈছে। কিন্তু পৰিবৰ্তিত পটভূমিত এতিয়া তেনে সংশ্লেষণ নীৰৱে ব্যক্তিগত জীৱনত ঘটি থাকিলেও সামূহিক জীৱনত ৰাজহুৱাভাৱে ঘটাৰ পথ প্ৰায় বন্ধ হ'ব উপক্ৰম। এতেকে, সম্প্ৰতি প্ৰত্যেক সামাজিক গোটেই স্বকীয় প্ৰতিষ্ঠা বিচৰাৰ পৰিপ্ৰেক্ষিতত আমি দেখিছোঁ—সকলো বৰ্ণ মিলি এতিয়া এটা বৰ্ণ নহৈ প্ৰত্যেকটো বৰ্ণই নিজৰ পৰিচয় বিচাৰিছে। তদুপৰি, কেৱল আমাৰ জনগোষ্ঠীয় ভাষা-ভাষীসকলেই নহয়, ভাৰতৰ বিভিন্ন ঠাইৰ পৰা আহি খুপ পাতি বসবাস কৰা সকলবো প্ৰত্যেকৰে নিজৰ পৰিচয় সুকীয়া সুকীয়া বৰ্ণ আছে।

ইয়াত বিভিন্ন মতৰ মানুহ, বেলেগ বেলেগ আদৰ্শৰ মানুহ আছে, বেলেগ বেলেগ ভাষা-ধৰ্ম-সম্প্ৰদায়ৰ মানুহ আছে।

আমি এই সকলোবোৰ মানুহতো এই ঠাইতেই থাকিম। ইয়াৰ পৰাতো আমি কেনিও নাযাওঁ আৰু কোনেও কাকো আমি দূৰলৈ পঠাব নোৱাৰোঁ। অথচ, এতিয়া এটা ভাষা, এটা আদৰ্শ, এটা ধৰ্মৰে আমি সকলোকে বান্ধি ৰাখিবও নোৱাৰোঁ। এতেকে, আমি আমাৰ সমাজ-জীৱনৰ এই বহুত্ববাদী চৰিত্ৰটো (pluralistic Character) বুজি পাব লাগিব, আৰু প্ৰত্যেকৰে সমান অস্তিত্ব আৰু সমান অধিকাৰ স্বীকাৰ কৰিব লাগিব। আমি সকলোৱেই নিজৰ নিজৰ পৰিচয় লৈ যিহেতু ইয়াত থাকিবই লাগিব, আমি মতাদৰ্শগত, ভাষাগত, ধৰ্মগত বা সম্প্ৰদায়গত সংঘাত সৃষ্টি কৰিতো জীয়াই থাকিব নোৱাৰোঁ। মতান্তৰ মতান্তৰৰ কাৰণ হোৱাটো বা ভাষা, ধৰ্ম আৰু সম্প্ৰদায়ৰ পৃথকতা সংঘাতৰ কাৰণ হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক ঘটনা। আমি এনে সংঘাত দূৰ কৰিবলৈ হ'লে আমাৰ সামাজিক জীৱনত বহুত্ববাদ স্বীকাৰ কৰি ল'বই লাগিব। তেহে বিভিন্ন সামাজিক গোটৰ মানুহৰ মনৰ অবিশ্বাস, শংকা আৰু সন্দেহ দূৰ হ'ব আৰু এক নতুন সামাজিক ভাতৃত্ববোধে গজালি মেলিব। বহুত্ববাদী দৃষ্টিভংগীৰবিষয়ে বা সামাজিক ভাতৃত্ববোধৰ বিষয়ে বক্তৃতা দি বা বিবৃতি দিয়েই আমি মনৰ মাজৰ অবিশ্বাস, শংকা বা সন্দেহ দূৰ কৰিব নোৱাৰোঁ। আমাৰ দৃষ্টিভংগী কামৰ মাজত প্ৰতিফলিত হ'ব লাগিব। কিন্তু বহুত্ববাদ গ্ৰহণ কৰাৰ এটা লক্ষ্য থাকিব লাগিব। নহলে বহুত্ববাদে বেমেজালি সৃষ্টি কৰিব পাৰে। বহুত্ববাদৰ লক্ষ্য হ'ব— সামাজিক ভাতৃত্ববোধ গঢ়ি তোলা আৰু স্ববিকাশৰ পথ প্ৰশস্ত কৰা। আমি যাতে স্বকীয় ভাষিক আৰু সাংস্কৃতিক পৰিচয় ৰাখিও প্ৰত্যেকেই ক'ব পাৰো ঃ "অসম আমাৰ আমি অসমৰ"। আমি যদি অসম সাহিত্য সভাৰ উদ্যোগত সকলো সামাজিক গোটৰ লোকৰ সহযোগত এই পথটোত এখোজো দিব পাৰোঁ এটা বছৰত সেয়ে এটি জৰুৰী আৰু ডাঙৰ কাম হ'ব বুলি অনুভৱ কৰোঁ।

চাৰি

ভাষা হ'ল সামাজিক উমৈহতীয়া সম্পত্তি। নিৰ্জন দ্বীপত অকলশৰে থকা আলেকজেণ্ডাৰ ছেলকার্কক ভাব-বিনিময়ৰ বাবে শব্দেৰে তৈয়াৰ কৰা ভাষাৰ কোনো প্ৰয়োজন নাই। কিন্তু সামাজিক প্ৰাণী হিচাপে জীৱন ধাৰণৰ নিমিত্তে মানুহক লগা ভাষা মানুহে তৈয়াৰ কৰি লৈ আহিছে আৰু লৈ থাকিব। ব্যৱহাৰিক প্ৰয়োজনীয়তাই ভাষাৰ সৃষ্টিৰ আধাৰ। কোনেও কাৰো ভাষা বুজি নোপোৱা কিছু লোকক যদি একেলগে বাস কৰিবলৈ দিয়া হয়, তেওঁবিলাকে নিজৰ ভিতৰত ভাব-বিনিময়ৰ বাবে উমৈহতীয়া ভাষা এটা সৃষ্টি কৰি ল'ব। অসমীয়া ভাষা তেনে প্ৰয়োজনত গঢ় লৈ উঠা ভাষা। নাগালেণ্ডৰ 'নাগামিজ' বা অৰুণাচলৰ এসময়ৰ 'নেফামিজ' তেনে ব্যৱহাৰিক প্ৰয়োজনত গঢ় লৈ উঠা ভাষা। ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা কোনোবা গৈ তাত এনে ভাষা সৃষ্টি কৰি দিয়াগৈ নাই।

ভাষাৰ লগত সামাজিক মনৰ গভীৰ সম্পৰ্ক আছে। সামাজিক মন গঢ়ি উঠে মানুহৰ ভৌগোলিক, নৈসৰ্গিক, সামাজিক পটভূমিত নিজৰ সংৰক্ষণ, সম্বৰ্ধন আৰু জীৱন-যাপনৰ প্ৰয়োজনীয়ৰ ভিত্তিত। ভাষাতত্ত্বৰ অধ্যয়নে এতিয়া নৃতত্ত্ব, মনস্তত্ত্ব আৰু সমাজতত্ত্ব— সকলো দিশ সামৰি লৈছে। অসমত এতিয়ালৈকে এইবোৰ দিশত বিশেষ অধ্যয়ন হোৱাই নাই। একো একোটা ধ্বনি, উপ-ধ্বনি, শব্দ বা প্ৰকাশ-ভংগীৰ পিছফালে এক দীঘলীয়া ইতিহাস লুকাই থাকে। সামাজিক-ভাষাতত্ত্বই প্ৰমাণ কৰিছে কেনেকৈ একলগে বসবাস কৰোঁতে কৰোঁতে বিভিন্ন নৃ-গোষ্ঠী, ভাষাগোষ্ঠী আৰু সামাজিক গোটৰ লোকৰ মাজত বিভিন্নতা থকা সত্বেও এটা উমৈহতীয়া সামাজিক মন গঢ় লৈ উঠে আৰু এই মনে ভাষাৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। সমগ্ৰ উত্তৰ-পূৰ ভাৰতবৰ্ষৰ বিভিন্ন সামাজিক গোটৰ লোকৰ মাজত অনেক বিচিত্ৰতা থকা সত্বেও সামাজিক মনটোৰ প্ৰকৃতিগত ঐক্য মন কৰিব লগীয়া। আনকি, ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ পৰা আহি অসম তথা উত্তৰ-পূৰ্বাঞ্চলত স্থায়ী হোৱা বাঙালী, বিহাৰী, নেপালী, উৰিয়া আদি লোকসকলৰ মনো ইয়াৰ স্থানীয় সামাজিক মনৰ লগত একাত্ম বা সদৃশ হৈ গৈছে। তেওঁবিলাক পূৰ্বতে আহি অসমীয়া হোৱা সকলৰ সমানেই অসমীয়া হৈ গৈছে। ফলত সামাজিক প্ৰমূল্যবোধৰ চৰিত্ৰয়ো সাদৃশ্য লাভ কৰিছে। আনকি, সাংস্কৃতিক অভিব্যক্তিসমূহৰ বহিৰ্বিচিত্ৰতা থকা সত্বেও সিবিলাকৰ অন্তৰ্চৰিত্ৰ একে হৈ পৰিছে।

আমাৰ লোক-সংস্কৃতিৰ অধ্যয়নে আমাক আমাৰ সামাজিক জীৱনৰ এই ৰূপটোৰ লগত অন্তৰংগ পৰিচয় কৰাই দিয়ে। আমাৰ লোক-সংস্কৃতিৰ খণ্ডিত অধ্যয়ন হৈছে, কিন্তু লোক-মনটোৰ সামগ্ৰিক বিচাৰ এতিয়াও হোৱা নাই। খণ্ডিত অধ্যয়নসমূহ যেতিয়ালৈকে সামগ্ৰিকতাৰ পটভূমিত বিচাৰ কৰা নহ'ব, তেতিয়ালৈকে খণ্ডিত অধ্যয়নে লোক-জীৱনক বিচ্ছিন্ন কৰাৰ শংকা দূৰ নহ'ব। আজি আমি বড়ো, কাৰ্বি, মিছিং, ৰাভা, ডিমাছা, টিৱা, তাই, চুতীয়া, দেউৰী, মৰাণ, মটক, চাহ-বনুৱা, এনেকৈ ভাগ ভাগ কৰি লোক সংস্কৃতিৰ অধ্যয়ন কৰিছোঁ। তেনেকৈ, কামৰূপীয়া, গোৱালপৰীয়া, দৰঙীয়া আদি আঞ্চলিকতাৰ ভিত্তিতে

অধ্যয়ন কৰিছোঁ। এনেকৈ অধ্যয়ন কৰাত কোনো আপত্তি কৰিলগীয়া নাই। কিন্তু আমাৰ সৰহখিনি অধ্যয়ন সাংগ্রিক পটভূমিৰ পৰা বিচ্ছিন্ন অকলশৰীয়া অধ্যয়ন হৈছে। লোক-সংস্কৃতিৰ অধ্যয়নত বিৰিঞ্চি কুমাৰ বৰুৱাৰ, ইতিহাস অধ্যয়নত কনকলাল বৰুৱাৰ আৰু ভাষাতত্ত্বৰ অধ্যয়নত বাণীকান্ত কাকতিৰ দৃষ্টিৰ সামগ্রিকতা সাম্প্রতিক কালছোৱাত হেৰাই যোৱাৰ উপক্রম ঘটিছে। আমাৰ সকলো বৈচিত্র্যৰ মাজত অন্তর্ফল্গুৰ দৰে প্রবাহিত হৈ থকা এই সামাজিক মনটিৰ পুনৰাবিষ্কাৰৰ প্রয়োজন হৈছে। তেহে বিচ্ছিন্নতাৰ মাজত আমি মনৰ ঐক্যসূত্রটি চিনি পাব পাৰিম। অসমৰ জনজীৱনৰ কথা কওতে আমি বহু সময়তে ধর্মীয় দৃষ্টিকোণেৰে নকৰোঁ। তাৰ কাৰণ হ'ল অসমীয়া ভাষী হিন্দু, মুছলমান, খ্রীষ্টান আৰু শিখসকলৰ মানসিক গাঁথনি আৰু জীৱন যাত্রাৰ প্রণালীত পৃথকতা নোহোৱাটো। তেওঁবিলাক একেটা মানসিক, ভাষিক আৰু সামাজিক সাংস্কৃতিক জীৱনৰ সমান অংশীদাৰ। তেওঁবিলাকৰ লোক সংস্কৃতি আৰু লোক-বিশ্বাস তথা সংস্কাৰো একে।

আমাৰ চৰ অঞ্চলত আহি স্থায়ী ভাবে বসবাস কৰি অসমীয়া ভাষা আৰু সংস্কৃতিৰ লগত মিলি যোৱা আৰু মিলি যাবলৈ আৰম্ভ কৰা সকলৰ মাজতো আমি একেধৰণৰ অসমীয়া মন এটাৰ অবস্থান সক্রিয় হৈ থকা যেতিয়া দেখো তেতিয়া স্বাভাৱিক ভাৱেই অসমীয়া ভাষা আৰু সংস্কৃতিৰ নতুন দিগন্ত এটাও লক্ষ্য কৰোঁ। একেধৰণেই দেখিছো বৃটিছ গৰকী আৰু শাসকসকলে গাঁৱৰ জনজীৱনৰ লগত মিলিবলৈ নিদিয়া চাহ বাগিচাৰ জনসমষ্টিৰ পৰা ওলাই অহা শিক্ষিত ডেকা গাভৰু সকলৰ মাজত এতিয়া অসমীয়া মন এটা কিমান দ্রুততাৰে গঢ় লৈ উঠিছে। আনকি, চাহ বাগিচাত কাম কৰি থকা সকলৰ পৰম্পৰাগত উৎসৱ অনুষ্ঠানত আৰু বিয়াবাৰুত অসমৰ সামাজিক সাংস্কৃতিক বৈশিষ্ট্য বোৰে স্বাভাৱিক ভাৱে ঠাই উলিয়াই লৈ সম্পর্কৰ অদৃশ্য সূত্রৰে সকলোকে বান্ধি পেলাইছে। এতিয়া চাহ বাগিচাৰ জনসমষ্টিৰ মাজত থকা বৈশিষ্ট্যবোৰ অসমৰ সামাজিক সাংস্কৃতিক জীৱনৰ স্থানীয় বৈশিষ্ট্যলৈ ৰূপান্তৰিত হৈছে। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ বিভিন্ন গোটৰ লোকৰ মাজত এনেধৰণৰ বিচিত্র আঞ্চলিক বিশেষত্ব আছে। আমাৰ লোক-জীৱন আৰু লোক-সংস্কৃতিক এনে বিশেষত্বসমূহেই সমৃদ্ধ কৰি তুলিছে।

লোক-সংস্কৃতিৰ অধ্যয়নত পাশ্চাত্যত বর্ণনামূলক, তুলনামূলক আৰু আংগিক বা, স্থান মূলক পদ্ধতিৰ প্রত্যেকটোৰেই নিজা নিজা পথেৰে বিশ্লেষণ দাঙি ধৰিছে। ভ্লাডিমিৰ প্রপ্, লেভি ষ্ট্রাউছ্ আদিৰ দৰে আংগিক সংস্থান মূলক বা গঠনবাদী পদ্ধতিৰ প্রবক্তা সকলে ভাষাতত্ত্ব, মনস্তত্ত্ব, সামাজিক নৃ-তত্ত্ব, দর্শন আৰু সংযোগতত্ত্ব লোক-সংস্কৃতি অধ্যয়নৰ ভিতৰলৈ কৰি লৈছে। গঠনবাদী ভাষাতত্ত্বৰ লগত সামাজিক নেতৃত্ব আৰু সামাজিক মনস্তত্ত্বও জাড়িত। কিন্তু সৰহখিনি অধ্যয়নতে দেখা যায় বিষয়ৰ গভীৰ বিচাৰ বিশ্লেষণ কৰোঁতে সামগ্রিকভাৱে সামাজিক স্তৰ সমূহৰ সৰু বৃত্তটোৰ পৰা ক্রমাৎ ডাঙৰ হৈ যোৱা বৃত্তবোৰৰ পটভূমিৰ সামগ্রিকতা দৃষ্টিৰ আঁতৰ হৈ যায়। মানুহে জন্ম, ব্যাধি, জড়া, মৃত্যুৰ সম্মুখত কেনেকৈ প্রতিক্রিয়া প্রকাশ কৰে, নিজৰ স্বার্থৰ প্রতিৰক্ষাৰ বাবে কেনেকৈ কার্য কৰে আৰু জীৱন যাপনৰ প্রতিটো খোজ কেনেকৈ আগবঢ়ায় তাৰ লগত মানুহৰ মন আৰু নৈসর্গিক, সামাজিক ঐতিহাসিক পটভূমি জড়িত। এতেকে সামগ্রিকতাৰ বিচাৰ অবিহনে লোক-জীৱন আৰু লোকমনৰ যথার্থ বিচাৰ সম্ভৱ নহয়। লোক-মনৰ মাজত যে এটা গোষ্ঠীগত বা আঞ্চলিক মনৰ উপৰিও এটা বিশ্ব-মনো সক্রিয়, সেই গুৰুত্বপূর্ণ দিশটোৰ কথাযেন আমি বহু সময়ত পাহৰি থাকো। উজনি অসমৰ হাইদাং গীতৰ পৰা পশ্চিম অসমৰ গোৱালপাৰাৰ গীতলৈকে, আমাৰ বিভিন্ন জনগোষ্ঠীয় ভাষাৰ গীত-মাতৰ পৰা উমৈহতীয়া ভাষাৰ গীত মাতলৈকে অর্থাৎ অঞ্চল আৰু সম্প্রদায় নির্বিশেষে লোক-মন ক্রমে বিশেষৰ পৰা নির্বিশেষলৈ ব্যাপ্ত হৈ যোৱা দেখো। আমি কেৱল তাক পৰিচয়ৰ সংকীর্ণ পৰিধিত থৈ বিচাৰ কৰিবলৈ প্রকৃত স্বৰূপ বুজি পাব নোৱাৰিম। অসমীয়া ভাষা আৰু আমাৰ জনগোষ্ঠীয় ভাষাৰ গৱেষক, পণ্ডিত, ছাত্রসকলে এই বিষয়ে বিশেষ মনোযোগ দিব বুলি আশা কৰিলোঁ। গৱেষণাৰ নামত যাতে 'মানুহ'টো হেৰাই নাযায় তাৰ প্রতি সতর্ক হৈ থকাটো প্রতিটো বিষয়ৰ গৱেষকৰে প্রাথমিক চর্ত হোৱা উচিত। অসমৰ সামাজিক মনটো বাহিৰৰ বিভিন্ন দ্বন্দ আৰু সংঘাতে আঘাত কৰাৰ পৰিপ্রেক্ষিতত, আমাৰ বিদ্যায়তনিক জীৱনৰ লগত জড়িত হৈ থকা সকলে প্রকৃত পক্ষে সমাজ জীৱনৰ বিদ্যায়তনিক অনুসন্ধানৰ ইতিবাচক ফল সমূহৰ দ্বাৰাও এনে আঘাত প্রতিৰোধ কৰাত সহায় কৰিব পাৰে।

পাঁচ

আজি অসমৰ সমাজ জীৱন এক ভয়াবহ সংকটৰ সম্মুখীন হৈছে। গোষ্ঠীগত, আঞ্চলিক আৰু ৰাজ্যিক সকলো ক্ষেত্রতে বিভিন্ন প্রকাৰে, গোষ্ঠী, অঞ্চল আৰু ৰাজ্যৰ স্বতন্ত্রতাৰ দাবীত সশস্ত্র উগ্রবাদ আৰু সন্ত্রাসবাদ গঢ় লৈ উঠিছে। গোষ্ঠী, অঞ্চল

আৰু ৰাজ্যৰ স্বতন্ত্ৰতাৰ স্বাৰ্থত নৰহত্যা কৰাটো এটা "পবিত্ৰ দায়িত্ব" (?) স্বৰূপে গণ্য কৰাৰ প্ৰবণতা দেখি আজি অন্তৰ কঁপি উঠিছে। আমাৰ ভিতৰৰ মনুষত্ব হত্যা কৰি আমি কোন মানুহৰ বাবে স্বতন্ত্ৰতা বিচাৰিছো? দৈনিক পুৱা শুই উঠি জীয়া মানুহৰ কেঁচা মঙহ পো�ৰাৰ গোন্ধ নাকত লৈ আমি পুৱাৰ আহাৰ কৰিব লগীয়া হৈছে। কোনোবাই ক'ৰবাত এজন মানুহ হত্যা কৰা বুলি খবৰ পালেই গাৰ নোম শিয়ঁৰি উঠা আমি, এতিয়া দৈনিক শ শ মানুহৰ হত্যাৰ খবৰেৰে দিনটো আৰম্ভ কৰিবলগীয়া হৈছে। ইয়াতকৈ দুঃসময় আমাৰ বাবে কি আছে? মোৰ আজি মুকলিকৈ কবলৈ দ্বিধা নাই যে যিদিনা, অসম আন্দোলনৰ মাজত নেলীত নিহত চৈধ্যটা শিশুৰ ছবি দেখিছিলো সেইদিনা এক ব্যাখ্যাহীন যন্ত্ৰণাৰে মই নিৰম্বু উপবাস পালন কৰিছিলো। মই মোৰ দেশ আৰু ভাষাক প্ৰাণতকৈও ভাল পাওঁ; কিন্তু মানুহ মোৰ বাবে সকলোৰে উৰ্দ্ধত— সেই মানুহ অসমীয়া নে বাঙালী, হিন্দু নে মুছলমান, ভাৰতীয় নে ইউৰোপীয়, সেই প্ৰশ্ন অবান্তৰ, অৰ্থহীন। "সবাৰ উপৰে মানুষ সত্য তাহাঁৰ উপৰে নাই" — চণ্ডী দাসৰ এই উপলব্ধিতকৈ কোনো ডাঙৰ উপলব্ধি নাই, ডাঙৰ সত্য নাই এয়ে মোৰ বিশ্বাস। ঘৃণা আৰু বিদ্বেষেৰে কোনেও কেতিয়াও পৃথিৱীত কোনো মহৎ কাম কৰি যাব পাৰ নাই আৰু কৰিব নোৱাৰে। এজন মানুহক হত্যা কৰি আন এজনৰ উপকাৰ কোনোবাই সাধন কৰিব পাৰিব বুলি পৃথিৱীত কোনো বুদ্ধিমান মানুহে আশা কৰিব পাৰে?

অসমৰ এক সংখ্যক যুৱকে ভাৰতৰ পৰা অসমক বিচ্ছিন্ন কৰি আনি স্বাধীন কৰাৰ স্বপ্নৰ বাস্তৱ ৰূপ দিবলৈ অস্ত্ৰ হাতত তুলি লৈছে। তেওঁবিলাকৰ অনেকৰ মনত অসমীয়া মানুহ ভাৰতীয় নহয়— এই এটা ভ্ৰান্ত ধাৰণাও সোমোৱা বুলি ভাৱ হয়। তেওঁবিলাকৰ দেশপ্ৰেম সকলো সন্দেহৰ উৰ্দ্ধত হ'ব পাৰে; কিন্তু তেওঁবিলাকৰ লক্ষ্য, আৰু যি পথেৰে তেওঁবিলাকে অসমৰ স্বাধীনতা বিচাৰিছে, সেই লক্ষ্য আৰু পথ শুদ্ধ পথ নহয় বুলি প্ৰত্যয় যোৱাৰ যুক্তিয়েই সকলো ফালৰ পৰা শক্তিশালী। ভাৰত মানে দিল্লীৰ শাসনৰ গাদীত বহি থকা মুষ্টিমেয় মানুহ নহয়; ভাৰত মানে আসমুদ্ৰ হিমাচল ব্যাপি থকা ভাৰতৰ মানুহ। এই মানুহৰ অঞ্চল ভেদে বাহিৰৰ ৰূপৰ পৃথকতা আছে; কিন্তু ইমান বিভিন্নতা থকা স্বত্বেও ভাৰতৰ মানুহৰ মাজত এটা ভাৰতীয় মন সক্ৰিয়। আমাৰ নৈতিক মূল্যবোধ আৰু জীৱন দৃষ্টিভংগীৰ প্ৰবাহ একেটা। সেইবাবেই ভাৰতীয় সংস্কৃতিৰ বৈচিত্ৰ্যৰ মাজত এটা ঐক্য সূত্ৰ আছে। আমাৰ লোক-জীৱন এই ঐক্যসূত্ৰৰে গঁথা হৈ আছে। জোৰ কৰি এই ঐক্যসূত্ৰ কোনেও ছিণ্ডিব নোৱাৰে। মানৱীয় কোনো সমস্যা বা সংকটৰ সম্মুখত ভাৰতীয় মানুহে এক ধৰণেৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এই মানসিক বৃত্তি আইন কৰি বা শক্তি প্ৰয়োগ কৰি কেনেকৈ নাইকিয়া কৰিব?

কেৱল সেয়ে নহয়, যিটো ভাষাৰে আমি ভাৰতৰ পৰা নিজক বিচ্ছিন্ন কৰাৰ কথা কৈছোঁ, সেই ভাষাটোৰ ঘাই শিপাডালেই ভাৰতীয় ভাষাৰ গভীৰত পোত গৈ আছে। মন কৰিব লগীয়া কথা এয়ে যে নৃতাত্ত্বিক বিচাৰত অসমৰ মানুহৰ গাত দক্ষিণ পূৰ এছিয়াৰ কিৰাতীয় তেজেই সৰহ হ'লেও ভাষাতত্ব আৰু সংস্কৃতিৰ বিচাৰত ইয়াৰ গাত ভাৰতীয় তেজেই সৰ্বাধিক। আমাৰ ভাষা আৰু সংস্কৃতিৰ অনেক উপাদান কিৰাতীয় হোৱা সত্বেও ইয়াৰ ঘাই প্ৰাণ-প্ৰবাহ বহলভাৱে ভাৰতীয়। নৰকৰ পুত্ৰ ভগদত্তৰ লগত কুৰুক্ষেত্ৰ যুদ্ধত অংশ গ্ৰহণ কৰিবলৈ যোৱা সোণ-বৰণৰ, ঠৰঙা চুলিৰ, কম দাড়ি-গোঁফৰ, হেলনীয়া সৰু চকুৰ সৈন্যসকল যে কিৰাত আছিল সেই বিষয়ে সন্দেহ নাই।

অসম নামৰ এই ভূখণ্ডত বসবাস কৰা মানুহৰ মংগলৰ বাবে তেওঁবিলাকৰ জীৱনৰ উন্নয়নৰ বাবে অসমৰ সম্পদৰাজিত অধিকাৰ সাব্যস্ত কৰাৰ শক্তি আমি সৰ্বভাৰতীয় পটভূমিৰ পৰাই আহৰণ কৰিবৰ বাবে সমগ্ৰ ভাৰতৰ সাধাৰণ মানুহৰ সমৰ্থন আদায় কৰিব পাৰিব লাগিব। তাকে নকৰিলে, বন্দুকৰ গুলীৰ চমু পথেৰে গৈ লক্ষ্যত উপনীত হোৱাৰ কোনো সম্ভাৱনা নাই। জনসাধাৰণৰ ঐক্যবদ্ধ শক্তিতকৈ কোনো মাৰণাস্ত্ৰই শক্তিশালী নহয়। এই সত্যটো বুজি নাপালে নিজৰো মংগল নহ'ব, দেশৰো মংগল নহ'ব।

অসমৰ বড়ো, কাৰ্বি, মিচিং, ৰাভা, ডিমাছা, টিৱা আদি সকলো জনগোষ্ঠীৰ মাজতে এতিয়া এচাম লোকে আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰৰ দাবী তুলিছে। বড়োসকলৰ এটা গোটে ৰাজ্যখনত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। ঠায়ে ঠায়ে ভাতৃঘাতী সংঘৰ্ষ চলিছে। ভাষা আৰু সম্প্ৰদায়ৰ নামত ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিবৰ বাবে আমাৰ যুৱ-শক্তিক কোনে উচটনি আৰু সাহায্য দিছে তাৰ অনুসন্ধান কৰি ব্যবস্থা লোৱাৰ পৰিবৰ্তে কেৱল সামৰিক শক্তিৰ প্ৰয়োগ এনে উগ্ৰবাদৰ সমাধানৰ উত্তৰ হ'ব নোৱাৰে। জুই ক'ৰ পৰা জ্বলিছে সেই উৎস চিনাক্ত নহ'লে জুই নুমুৱাব কেনেকৈ? সামৰিক শক্তিৰ অত্যন্ত সীমিত আৰু সাময়িক প্ৰয়োগ জৰুৰী মুহূৰ্ত্তত প্ৰয়োজন হ'ব পাৰে; কিন্তু সামৰিক শক্তিৰ সঞ্চালনি প্ৰয়োগে ৰাষ্ট্ৰসন্ত্ৰাসৰ এটা স্বাভাৱিক ৰূপ লয় আৰু এনে

সন্ত্রাসে জনসাধাৰণক বৰং বিচ্ছিন্নতাবাদী শিৰিৰলৈ ঠেলি দিয়ে।

যিবোৰ যুৱকে বোমা-বাৰুদ ব্যৱহাৰ কৰিছে তেওঁবিলাক যন্ত্ৰহে। তেওঁবিলাকৰ পিছফালে থকা যন্ত্ৰীসকল ইচ্ছা, আকাংক্ষা, লক্ষ্য, উদ্দেশ্য আৰু যন্ত্ৰীসকলে লাভ কৰা সাহায্যৰ উৎসৰ কথা নাজানিলে এই জটিল সমস্যা সমাধান কেনেকে কৰিব?

আমাৰ ৰাজ্যখনৰ এনে এক অৱস্থাত লেখকসকল, শিল্পীসকল নিৰাপদ দূৰত্বত থাকিলে, যি জুই জ্বলিছে সেই জুই তেওঁবিলাককো পুৰিব। লেখকসকলে আমাৰ ৰাজ্যখনৰ ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অৱস্থিতিৰ ছবিখন বিভিন্ন মাধ্যমেৰে দাঙি ধৰিবলৈ যত্ন কৰক। যত্ন কৰক আমাৰ ৰাজ্যখনৰ বস্তুবাদী চৰিত্ৰ জন-সাধাৰণক বুজাই দিবলৈ। যত্নকৰক এই কথা প্ৰত্যেকৰে প্ৰাণে প্ৰাণে লিখি দিবলৈ যে— কোনো জনগোষ্ঠীয়েই এতিয়াৰ পৃথিৱীত বিচ্ছিন্ন আৰু অকলশৰীয়া হৈ বাচি থাকিব নোৱাৰে।

এই কথাত কোনো দ্বিমত হ'ব নোৱাৰে যে চিৰায়ত সাহিত্য মানৱীয় হৃদয়-বৃত্তিৰ আধাৰতে সৃষ্টি হ'ব পাৰে; ৰাগানৰ আধাৰত নহয়। কিন্তু ঘৰত জুই লগাৰ সময়ত চিঞৰি চিঞৰি মানুহ মতাটোৱেই প্ৰাথমিক কাম। আমাৰ লেখকসকলে এতিয়া সময় আৰু প্ৰয়োজনৰ প্ৰতি সহাঁৰি দিব পাৰিব লাগিব। এনে ৰচনা সৰ্বকালৰ কাৰণে নহ'ব, নহওক; সমকালৰ প্ৰয়োজন পূৰণৰ বাবে যদি উপযুক্ত হয়, এনে ৰচনায়ো ঐতিহাসিক ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব। মহাপুৰুষ শংকৰদেৱে 'পাষণ্ড-মৰ্দন'ৰ দৰে ৰচনাত সমকালৰ বাবে জনোৱা আহ্বানেই প্ৰতিধ্বনিত হৈছিল। সৰ্বকালৰ সত্য তেওঁ অন্যান্য ৰচনাত থৈ গৈছে। আমাৰ ৰক্তাক্ত সময়ৰ বুকুত থিয় দি মোৰ ভাব হৈছে এনে এক সময়ৰ জৰুৰী আহ্বানৰ প্ৰতি সহাঁৰি দিবলৈকে লেনিনে ১৯০৫ চনত "Down down with non-party literature" বুলি ঘোষণা কৰিছিল। অৱশ্যে, আমাৰ অনেকে এই সমকালৰ বাবে কোৱা কথাকে সৰ্বকালৰ বাবে কোৱা কথা বুলি গ্ৰহণ কৰি বিভ্ৰান্তিৰ সৃষ্টি কৰি আহিছে। এইটোও স্মৰ্তব্য যে সমকালৰ প্ৰয়োজনত কোৱা কথা সমকালৰ হৈয়ো সৰ্বকালৰ হ'ব পাৰে। গৰ্কীৰ 'মা' তাৰ এটি উৎকৃষ্ট উদাহৰণ। কিন্তু যিসকল লেখকে বক্তব্য প্ৰচাৰকে সাহিত্যৰ ধৰ্ম বুলি ভাবে, সেই সকল লেখকে অতি প্ৰয়োজনীয় ঐতিহাসিক ভূমিকা পালন কৰিলেও সাহিত্যৰ শিল্পাধৰ্মৰ শেষ বিচাৰত নিৰ্বাচিত হ'ব বুলি আশা কৰিব নালাগে।

মানুহৰ সভ্যতাৰ ইতিহাসত দুটা বিপৰীত বিন্দুত থিয় হৈ ষ্টেলিন্ আৰু হিটলাৰে যি অমানৱীয় আৰু নৃশংস পন্থা প্ৰতিষ্ঠা কৰিলে তাৰ বিষময় ফল মানুহে দেশে দেশে আজি ভুগিব লাগিছে। পুঁজিবাদী সাম্ৰাজ্যবাদী শক্তিয়ে আজি সমগ্ৰ পৃথিৱীত প্ৰত্যক্ষ বা পৰোক্ষভাবে এই বিষ বিয়পাই দিছে। মানৱিকবাদৰ বিপক্ষ বিন্দুত থিয় দি থকা এই আটাইকেওটাৰ কোনোটোৱেই গ্ৰহণীয় নহয়। মা'বাদ আৰু মা'বাদ লেনিনবাদৰ নামটো যিবিলাক শক্তিয়ে ঘৃণা, হিংসা আৰু বিদ্বেষৰ বিষবাষ্প বিয়পাইছে, সেইবোৰ শক্তিও মানৱিকতাবাদৰ শত্ৰুৰ বাহিৰে একো নহয়। হিংসাৰে পৃথিৱীৰ কোনটো সমস্যাৰ সমাধান হৈছে? হিংসাই হিংসাৰ মাত্ৰা ক্ৰমাৎ বৃদ্ধি কৰি গৈ আছে। যিবিলাকে ভাষাৰ নামত, ধৰ্মৰ নামত, দেশৰ নামত আৰু ৰাজনৈতিক স্বাৰ্থত যুৱ-শক্তিৰ হাতত অস্ত্ৰ তুলি দিছে, সেইবোৰ শক্তিয়েই মানুহৰ ইতিহাসত মানুহৰ শত্ৰুস্বৰূপ চিহ্নিত হৈ ৰ'ব। আমাৰ যুৱক শক্তিক এই শক্তিবোৰৰ প্ৰতি সতৰ্ক কৰি দিয়াটো প্ৰত্যেক সচেতন লোকৰে কৰ্তব্য। লেখক, বুদ্ধিজীৱী, সাংবাদিকসকলৰ দায়িত্ব এই ক্ষেত্ৰত সৰ্বাতোকৈ বেছি। দেশেই যদি নাথাকে, লেখকসকল থাকিব ক'ত? মানৱীয় প্ৰমূল্যৰ আধাৰেই যদি হেৰাই যায় শিল্প-সাহিত্য থিয় দিব ক'ত? মই বিশ্বাস কৰোঁ, প্ৰাকৃতিক দুৰ্যোগৰ বাহিৰে এনেকুৱা কোনো সমস্যা নাই যিটো আলাপ-আলোচনাৰ মাজেৰে সমাধান কৰিব নোৱাৰি। সংলাপেই সমস্যা সমাধানৰ পথ-নিৰ্দেশ কৰিব পাৰে। অস্ত্ৰ হাতত তুলি লোৱা সকলোবোৰ সংগঠনৰ নেতৃবৃন্দক আন্তৰিকতাৰে আহ্বান কৰিছোঁ— আহক, আমি আমাৰ মাজত সংলাপ আৰম্ভ কৰোঁ। এদিনত নহয়, দুদিনত নহয়, এমাহত নহয়, দুমাহত নহয়, অনাগত যি কোনো এটা দিনত আমি ঐক্যমতত কিয় উপনীত হ'ব নোৱাৰিম? আপোনালোকৰ হাত ৰক্ত-ৰঞ্জিত হ'বলৈ আমি এৰি দিব নোৱাৰোঁ। মানৱীয় মূল্যবোধ আৰু গণতান্ত্ৰিক মূল্যবোধ ধ্বংস হোৱাৰ পিছত শ্মশানত ৰাজত্ব কৰাৰ কেৱল পথ খোলা থাকিব। আমি তেনে অৱস্থা কোনোবাই বিচাৰোঁনে? শান্ত, সুস্থিৰ পৰিবেশতহে আমি ভাষা, সাহিত্য, সংস্কৃতিৰ কথা পাতিব পাৰোঁ। মানুহৰ সুকুমাৰ অনুভূতিবোৰ নষ্ট কৰি গৈ থাকিলে আটাইতকৈ ক্ষতি হ'ব আমাৰ নিজৰ, ক্ষতি হ'ব আমাৰ নিজৰ নিজৰ ভাষাৰ, সাহিত্যৰ আৰু সংস্কৃতিৰ। চৰকাৰকো আমি দাবী জনাওঁ, হিংসা প্ৰতিৰোধ কৰিবলৈ গৈ ৰাষ্ট্ৰসন্ত্ৰাস সৃষ্টি কৰাৰ পৰা বিৰত থাকক; যিবিলাক মানুহে বোমা-বাৰুদেৰে সমাজ ধুঁৱলি কুঁৱলি কৰিছে, সেইবিলাকৰ পিছফালে থকা গোট বা শক্তিবোৰক চিনি উলিয়াই প্ৰতিহত কৰক। আৰু লেখকসকলে মানুহৰ প্ৰতি গভীৰ প্ৰেমৰ আৰু

বিশ্বাসৰ ছবিখন দাঙি ধৰক। ৰবীন্দ্রনাথৰ ভাষাৰেই ক'ৰব মন গৈছে, "কবি, তবে উঠে এসো যদি থাকে প্রাণ /তবে তাই লহো সাথে, তবে তাই কৰো আজি দান।/বড়ো দুঃখ, বড়ো ব্যথা—সম্মুখেতে কষ্টৰ সংসাৰ /বড়োই দৰিদ্র, শূন্য, বড়ো ক্ষুদ্র, বদ্ধ অন্ধকাৰ।/অন্ন চাই, প্রাণ চাই, আলো চাই, চাই মুক্ত বায়ু /চাই বল, চাই স্বাস্থ্য, আনন্দ-উজ্জ্বল পৰমায়ু/সাহস বিস্তৃত বক্ষপট। এ দৈন মাঝাৰে, কবি, একেবাৰ নিয়ে এসো স্বর্গ হাতে বিশ্বাসৰ ছবি।"

ছয়

শ্রদ্ধেয় সুধীবৃন্দ, ভাষা-সাহিত্যৰ কথা ক'বলৈ গৈ আমাৰ ৰাজ্যখনৰ উত্তপ্ত অৱস্থাৰ কথাৰে পাতনি মেলাৰ বাবে যেন ক্ষমা কৰে। ন মনুষ্যাৎ হি পৰং দেৱঃ। এতেকে মানুহ য'ত সংকটাপন্ন, তাত প্রথমে সেই বিষয়েই ঠাই উলিয়াই ল'ব— ইয়েই স্বাভাৱিক। তদুপৰি, বেজবৰুৱাই ক'ৰব দৰে, "মই আপোনাসকলক সাহিত্য সম্বন্ধে উপদেশ দিবলৈ অহা নাই। সাহিত্যৰ 'গুৰুগিৰি' কৰিবৰ মোৰ মনো নাই, শকতিও নাই"। মই কেৱল মোৰ মনৰ কথা খুলি ক'ব খুজিছোঁ। ইয়াত যদি কিবা সাৰ থকা বুলি ভাৱে, ভাবি চাব, আৰু সাৰ থকা বুলি নাভাৱিলে আঁতৰাই থ'ব।

আমাৰ বিভিন্ন থলুৱা ভাষা-ভাষীসকলক এটা নিশ্চয়তা আমি দিব পাৰোঁ যে অসমীয়া ভাষাই কোনো জনগোষ্ঠীয় ভাষাক হেঁচা মাৰি নধৰে। আমি মুকলিকৈ কওঁ যে কোনো জনগোষ্ঠীয় ভাষাৰ বাবে কোনো লিপিৰ উপযোগিতা-অনুপযোগিতা দেখুওৱাৰ ক্ষেত্রতো অসম সাহিত্য সভাৰ কোনো ভূমিকা নাথাকিব। কিন্তু, এই কথাও আমি ব্যক্ত কৰিব খোজোঁ যে বাহিৰৰ কোনো শক্তিয়ে আমাৰ সমস্যাসমূহ সমাধানৰ পথ দেখুৱাবলৈ গৈ যাতে সামাজিক অবিশ্বাস আৰু অস্থিৰতা সৃষ্টি কৰিব নোৱাৰে তাৰ প্রতি আমি সকলোৱেই সজাগ আৰু সতর্ক হৈ থাকিব লাগিব। এনেবোৰ মুহূর্তত অসম সাহিত্য সভাও নীৰৱ দর্শক হৈ থাকিব নোৱাৰে।

অসমীয়া ভাষাৰ হাজাৰ বছৰীয়া ইতিহাসে প্রমাণ কৰিছে কেনেকৈ ই বিভিন্ন উৎসৰ পৰা সমল সংগ্রহ কৰি নিজকে সমৃদ্ধ কৰি তুলিছে। তৎসম আৰু তদ্ভৱ-শব্দ-সম্ভাৰ উপৰি বিদেশীমূলৰ শব্দ-সম্ভাৰৰ প্রয়োজন মতেই গ্রহণ কৰিছে। প্রয়োজনীয় শব্দ গ্রহণৰ ক্ষেত্রত অসমীয়া ভাষাই শব্দৰ জাত-বিচাৰ কৰা নাই। ভাৰতীয় মূলৰ ভাষাসমূহৰ উপৰি ই ইংৰাজী, পার্চী, আৰবী আৰু চীন-তিব্বতীয় ভাষামূলৰ শব্দ-সম্ভাৰ- দ্বিধাহীন ভাৱে গ্রহণ কৰি নিজকে চহকী কৰি তুলিছে। মানুহৰ উচ্চ আৰু সূক্ষ্ম চিন্তা, কল্পনা আৰু অনুভূতি প্রকাশৰ ক্ষমতা ই চর্যাপদ ৰচনাৰ কালৰ আগতেই আহৰণ কৰিছে। নহ'লে চর্যাপদত গুঢ় অর্থৰ ৰহস্যময় ভাষাৰ ব্যৱহাৰ দেখা পোৱা নগ'লহেঁতেন। আমাৰ শদিয়াৰ পৰা ধুবুৰীলৈকে সমাজ-জীৱনত সিঁচৰিত হৈ থকা লোক-প্রবচন, ফকৰা-যোজনা আদিৰ মাজেদি প্রকাশিত প্রতিভা আৰু ব্যঞ্জনাদীপ্ত প্রকাশ-ক্ষমতাই ভাষাটোৰ শক্তি ঘোষণা কৰি আছে। এই ভাষাৰ যিটো শিষ্ট ৰূপে চর্যাপদ, কৃষ্ণ কীর্তন, শূন্যপুৰাণ, পৰাগলী মহাভাৰতৰ মাজত প্রকাশ লাভ কৰিছিল,মাধৱ কন্দলিৰ ৰচনাৰ মাজত সি আহি পূর্ণ বিকাশ লাভ কৰেহি আৰু শঙ্কৰদেৱৰ ৰচনাত পত্রে-পুষ্পে সু-শোভিত হৈ পৰেহি। মাধৱ কন্দলিক শংকৰদেৱে "পূর্ব কবি অপ্রমাদী" অর্থাৎ প্রমাদ-শূন্য পূর্ব কবি বুলি শ্রদ্ধাৰে স্মৰণ কৰাটো উল্লেখযোগ্য বিষয়। যি ভাষা ৰাজনৈতিক সীমা চেৰাই অসম, কামৰূপ, বেহাৰ এই তিনিও ৰাজ্যৰ জনসাধাৰণৰ ভাষা ৰূপে প্রৰাহিত হৈ আছিল, কন্দলি আৰু শংকৰদেৱ-মাধৱদেৱ প্রমুখ্যে সন্ত কবি সকলে সেই ভাষাতেই 'ভাৰতবৰিষ'ৰ 'সামাজিক লোক'ৰ বাবে তেওঁবিলাকৰ জ্ঞান, ধ্যান, অভিজ্ঞতা, কল্পনা আৰু অনুভূতিৰ বাণী কৈ থৈ গ'ল। এতিয়াৰ কোচবিহাৰ ৰাজনৈতিক অসমৰ সীমাৰ বাহিৰত থাকিলেও ই এতিয়াও সাংস্কৃতিক অসমৰ অন্তর্গত। স্বাভাৱিকভাৱেই ভাষাৰ উচ্চাৰণৰ আঞ্চলিক বিশিষ্টতা থকা সত্ত্বেও কোচবিহাৰৰ জনজীৱনলৈকে অসমীয়া মনটো বিয়পি আছে। কোচবিহাৰৰ ৰজা নৰনাৰায়ণৰ পৃষ্ঠ-পোষকতা লাভ কৰি উপনিষদ-গীতাৰ ব্রহ্মক ভাগৱতৰ কৃষ্ণৰ মাজেদি ব্যক্ত কৰি, জন-জীৱনৰ হৃদয়ে হৃদয়ে স্থাপন কৰি, শঙ্কৰদেৱে আমাৰ বাবে ভাষা সাহিত্য-সংস্কৃতি আৰু জীৱন-বোধৰ যিখন আসন পাৰি থৈ গ'ল, সেইখনি আসন আমাৰ জাতীয় জীৱনৰ বিমূর্ত প্রতীক ভাৱনাটিবো স্থায়ী আসনলৈ ৰূপান্তৰিত হ'ল। ইছলাম, খ্রীষ্টান, শিখ, বৌদ্ধ, জৈনসকলৰ ঈশ্বৰ-ভাৱনাকো একেখিনি আসনেই সামৰি ল'লে। সেইবাবেই অসমত ক'তো কেতিয়াও ধর্মক লৈ সামাজিক সংঘর্ষৰ অধর্ম সংঘটিত হোৱা নাই। ইয়াত শংকৰদেৱে কয়, "কুক্কুৰ শৃগাল গর্দভৰো আত্মা ৰাম" আৰু আজন পীৰেও গায়, "হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান মোৰ মনত ভেদ-ভাৱ নাই"— বুলি। ইয়াত বৈষ্ণৱেও বুদ্ধ-পূর্ণিমাৰ দিনা নাম প্রসংগ কৰাৰ আৰু শাক্তয়ো কালীপূজাৰ পিছত নাম এযাৰ গোওৱাৰ উদাহৰণ আছে। ইয়াত মুছলমানেও আইনাম গোৱাৰ আৰু অসমীয়া শিখেও গুৰুৰ তিথিত আহি প্রসাদ লোৱাৰ

উদাহৰণ সিঁচৰিত হৈ আছে। হিন্দু-মুছলমান, বৌদ্ধ-খ্ৰীষ্টান, শিখ-জৈন আদি সকলো ধৰ্মমতৰ সংঘাতহীন সহাৱস্থান অসমৰ বাহিৰে আৰু ক'ত পাব? শদিয়াৰ পৰা কোচবিহাৰলৈকে ব্যাপ্ত হৈ থকাৰ উদাৰ অসমীয়া মনৰ এই বিশালতা ধৰ্মৰ নামত সংকুচিত হ'বলৈ আমি এৰি দিমনে? মানুহক যি ঘৃণা কৰিবলৈ শিকায়, আনৰ সামাজিক সাংস্কৃতিক বৈশিষ্ট্যক যি তুচ্ছ জ্ঞান কৰিবলৈ শিকায় আৰু নিজক যি ওখ জ্ঞান কৰিবলৈ শিকায়, সেই ধৰ্ম 'অধৰ্ম'ৰ নামান্তৰ মাত্ৰ। এনেবোৰ শক্তিয়ে আমাৰ সামাজিক-সাংস্কৃতিক জীৱনত আৰু মনোজগতত সুমুৱাব পৰা ব্যাধিৰ বীজাণু যাতে সংক্ৰমিত নহয় তাৰ প্ৰতি সকলোৱেই সতৰ্ক থকা উচিত। "মানুহেই দেৱ মানুহেই সেৱ মানুহ বিনে নাই কেৎ"। এই মানুহক ভাষা-ধৰ্ম-মত-সম্প্ৰদায়ৰ জাত চিঁচাৰেৰে যি চিনি পাব খোজে, তেওঁ নিজৰ মনুষ্যত্বকে হেৰুৱাবলৈ আৰম্ভ কৰে।

ভাৰতবৰ্ষই জীৱজগত আৰু জড়জগতৰ প্ৰতিটো অনুৰ মাজেদি অনন্ত কোটি ব্ৰহ্মাণ্ডৰ সৃষ্টি-স্থিতি-লয়ৰ কাৰণ সচ্চিদানন্দময় ব্ৰহ্মক চিনি পোৱাৰ পথ দেখুৱাই গৈছে। যি চৈতন্যময় শক্তিৰ পৰা জীৱ জগত, জড়জগতৰ সৃষ্টি হ'ল, সেই চৈতন্যময় শক্তিক উপলব্ধি কৰাৰ পথ ৰুদ্ধ কৰি, আচাৰক ধৰ্মত পৰিণত কৰাসকলৰ মূঢ়তাই যাতে কাকো মতান্ধ কৰিব নোৱাৰে তাৰ বাবে প্ৰত্যেকেই সতৰ্ক থকা উচিত। আমাৰ সত্ৰসমূহেও আচাৰৰ আৰু সংস্কাৰৰ অন্ধকাৰ কোঠাৰ পৰা ওলাই আহি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ কোলাত ডাঙৰ-দীঘল হোৱা বৰ্তমানৰ মানুহৰ বাবে, আমাৰ ঐতিহ্যই সামৰি থোৱা সত্য ন-কৈ দাঙি ধৰিব নোৱাৰিলে নিজেই অপ্ৰাসংগিক হৈ পৰিব।

সাত

আমাৰ মধ্যযুগৰ সাহিত্য, বাংলাৰ কথা নকৰেই, উত্তৰ ভাৰতৰ অন্যান্য প্ৰায়বোৰ ভাষাতকৈও বহুগুণে চহকী। কাব্য, নাট, গীত, গদ্য— এই চাৰিওটি ধাৰাত ইমান চহকী মধ্যযুগীয় সাহিত্য আৰু কোনোবা উত্তৰ ভাৰতীয় ভাষাত আছে বুলি মই নাজানো। কিন্তু আমাৰ এই বিপুল সাহিত্য-সম্ভাৰৰ কোনো বিস্তৃত মূল্যায়নতো হোৱাই নাই, সাধাৰণ পৰিচয়ো আমি সম্পূৰ্ণকৈ দিব পৰা নাই। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কৰা Descriptive Catalouge of Assamese Manuscripts ৰ পিছত কোনেও এই কাম কৰিবলৈ আগবাঢ়ি অহা নাই। আমাৰ প্ৰত্যেক খিলা সাঁচিপাতেই যে অমূল্য সম্পদ সেই ধাৰণাটোৱেই যেন সৱহখিনি শিক্ষিত মানুহকে চুবগৈ পৰা নাই। এই গ্ৰন্থসমূহৰ সংগ্ৰহ, সংৰক্ষণ, অধ্যয়ন আৰু সমীক্ষিত পাঠ সম্পাদনা কৰি উলিয়াবলৈ আমাৰ বিশ্ববিদ্যালয়সমূহেও কোনো এটা বিভাগ খোলাৰ প্ৰয়োজনীয়তা এতিয়ালৈকে অনুভৱ কৰা নাই। আমি বাহিৰৰ বৰচুৰিয়াৰ ফেৰটোৰ বাবে হামৰাও কাঢ়ি মৰিছোঁ, আৰু অতি ক্ষুদ্ৰ স্বাৰ্থ, দ্বেষ-বিদ্বেষ আৰু ব্যক্তিগত ভালপোৱা বেয়াপোৱাৰে পৰিচালিত হৈ কাম কৰা মানুহক বহু সময়ত দায়িত্ব দি আমি তাৰ ফল ভোগ কৰিছোঁ। বহুল বিদ্যায়তনিক দৃষ্টিভংগী, কল্পনা প্ৰতিভা আৰু প্ৰশাসনীয় দক্ষতা -এই তিনিওটাৰ সমন্বয় যি ব্যক্তিত্বত গঢ় লৈ নুঠে ; তেনে ব্যক্তি বিদ্যায়তনিক জীৱনৰ বাবে কিমান ক্ষতিৰ কাৰণ হব পাৰে, তাৰ খতিয়ান ইতিহাসে সদায় দি আহিছে আৰু দি থাকিব। বিশ্ববিশ্ৰুত পণ্ডিত সকলক চিনি নোপোৱা মানুহো যেতিয়া বিদ্যায়তনিক জীৱনৰ ক্ষমতাত অধিষ্ঠিত হয়, তাৰ পৰিণতি কি হব পাৰে ভাবি চাওক । অসমীয়া ভাষা সাহিত্য,সংস্কৃতিৰ বাবে কোনে কি কৰি আছে তাৰ বিন্দু মাত্ৰ ধাৰণা নথকা একোজনৰ নিৰ্দেশতো যদি কেতিয়াবা "চলে আপোনাৰ জীৱন ৰথ" , সেই ৰথৰ চকা যে মেদিনীয়ে গ্ৰাস কৰিব সেই বিষয়ে সন্দেহ ক'ত? আমাৰ দেশত বোলে উৰ্ধতন শিক্ষানুষ্ঠানৰ এনে মুৰব্বীও আছিল যি নিজৰ অনুষ্ঠানৰ গৱেষকৰ গৱেষণাগ্ৰন্থ অনুমোদন নকৰিবৰ বাবে পৰীক্ষকলৈ ব্যক্তিগত চিঠি লিখিছিল, যদি হয়,ইয়াতকৈ বিদ্যায়তনিক জীৱনত ডাঙৰ দুৰ্ভাগ্যজনক অপৰাধ কি ঘটিব পাৰে ? উচ্চবিদ্যায়তনিক পদ যি মানুহে 'কেৰিয়াৰ ' ৰ এটা বিন্দু বুলি ভাবে, তেনে মানুহে সেই বিন্দু লাভ কৰিবলৈ যিকোনো স্তৰলৈ নামি যাব, ইয়াত কোনো সন্দেহ নাই। সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন বিদ্যায়তনিক ক্ষেত্ৰত এনে লোকে কৰা ডিৱ দূৰ কৰিব নোৱাৰিলে আমাৰ ৰাষ্ট্ৰীয় বিদ্যায়তনিক জীৱন প্ৰদূষণ-মুক্ত নহব ।

মই মধ্যযুগৰ অসমীয়া সাহিত্যৰ বিষয়ে আৰম্ভ কৰি বিদ্যায়তনিক জীৱনৰ ওচৰ পালোগৈ। আমাৰ মধ্যযুগৰ সাহিত্যৰ পুনৰুদ্ধাৰ আৰু মূল্যায়নৰ বাবে বিস্তৃত আঁচনি লব লাগিব। অসম সাহিত্য সভাৰ শক্তি এই ক্ষেত্ৰত সীমিত । তথাপি সভাই ১৯৬২ চনতে দানবীৰ ৰাধাকান্ত সন্দিকৈৰ নামত এটি গৱেষণা-কেন্দ্ৰ খোলাৰ বাবে লোৱা প্ৰস্তাব , ১৯৭৪ চনত আমাৰ প্ৰধান সম্পাদকত্বৰ কালত কেন্দ্ৰীয় অসমতত্ত্ব সংস্থানলৈ ৰূপান্তৰ কৰি ৰাধাকান্ত সন্দিকৈ ভৱনৰ বহুল আঁচনি লৈ কাম আৰম্ভ কৰা হৈছিল। কিন্তু, আমাৰ দেশৰ কৰ্ণধাৰসকলক কোনে বুজাই দিব যে বিশ্ববিদ্যালয়ৰ -পদ্ধতিৰ বাহিৰত এনে এটি গৱেষণা-কেন্দ্ৰৰ

প্রয়োজন কিমান বেছি। অসমৰ বাহিৰৰ সৰহ সংখ্যক বা বিষয়াৰ এই ক্ষেত্ৰত স্বাভাবিক অনাসক্তি, ভিতৰৰ সকলৰ সৰহ সংখ্যকৰে উদ্যমহীনতাত সকলো বিদ্যায়তনিক কাম কাজেই এতিয়া কেৱল জীৰিকাৰ বৃত্তিলৈ পৰ্যবসিত হোৱাৰ উপক্ৰম হৈছে। এই অৱস্থাৰো পৰিৱৰ্তন ঘটাবই লাগিব। নহলে আমি আমাৰ বাকচত অনেক ৰত্ন-মাণিক আছে বুলি মুখেৰে কৈ থাকিলেও কোনেও বিশ্বাস নকৰিব; আৰু বুদ্ধিয়ক সকলে আমাৰ সম্পদকে নিজৰ বুলি দাবী কৰিব। চৰ্যাপদ, কৃষ্ণকীৰ্তন, শূন্যপুৰাণৰ ক্ষেত্ৰত তেনে ঘটনা ঘটিছেই ; আনকি , শঙ্কৰদেৱ -মাধৱদেৱৰ ৰচনাকো নিজৰ ভাষাৰ সাহিত্য স্বৰূপে দাণ্ডি ধৰিব খোজা অত্যুৎসাহী ,সাম্প্ৰদায়ীক সৰু -সুৰা তথাকথিত পণ্ডিত দুই এজনেও শিহৰ দৰে কেতিয়াবা ভুমুকিয়াই যায়। এনেবোৰ শক্তিৰো মুখ বিদ্যায়তনিক ভাৱেই মাৰিব লাগিব । তথাপি কেতিয়াবা দেখা যায়— "মৰিলেও নেৱয় ধনঞ্জয় বায়ু" লাগি দুই-এজনে শঙ্কৰদেৱকো চৈতন্যদেৱৰ শিষ্য কৰি নিজৰ গা শাঁত পেলাবলৈ যত্ন কৰে । অথচ ,শঙ্কৰদেৱ যেতিয়া প্ৰথমবাৰ তীৰ্থ ভ্ৰমনলৈ যায় চৈত্যনদেৱৰ তেতিয়া যে জন্মই হোবা নাছিল, আৰু শঙ্কৰদেৱ দ্বিতীয়বাৰ তাৰ্থ ভ্ৰমণলৈ যোৱাৰ আগতে যে চৈত্যনদেৱৰ তিৰোভাৱ ঘটিছিল সেই কথা—ঐতিহাসিকভাৱে প্ৰমাণিত হৈ আছে। তদুপৰি ৰাধা-কৃষ্ণৰ যুগলমূৰ্তিৰ উপাসনাযুক্ত মধুৰ ৰসৰ বৈষ্ণৱ মাৰ্গৰ পৰা ৰাধা-বৰ্জিত কৃষ্ণৰ উপাসনাযুক্ত দাস্যভক্তিমাৰ্গলৈ যে বহুদূৰ যাব লাগে, সেই কথাটিও এই একবিংশ শতিকাৰ দুৱাৰডলিত থিয় হৈয়ো ঢাকি থ'ব খুজিলে আপুনি সত্যৰ ওচৰ চাপিব কেনেকৈ? কিন্তু আনহাতে 'সত্য' দাণ্ডি ধৰিবৰ বাবে আমি কৰিছোঁ কি? আমাৰ নাই যি নাই বিস্তৃত সাহিত্যৰ বুৰঞ্জী এখনেই নাই। ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ, সত্যেন্দ্রনাথ শৰ্মা— এই তিনিগৰাকী পণ্ডিতে কৰি থোৱা কামৰ ওপৰতে আমাৰ পাণ্ডিত্যৰ সৌধ নিৰ্মাণৰ যত্ন কৰিছোঁ মাত্ৰ। আনন্দৰাম বৰুৱা সংস্থাৰ আঁচনি যথার্থ ইতিহাস ৰচনাৰ আঁচনি নহ'ল। বৰং ইয়াক ইতিহাস ৰচনাৰ প্ৰয়োজনীয় কিছু সমলৰ আংশিক সংগ্ৰহ বুলিব পাৰি। এনে সংগ্ৰহ ইতিহাস-ৰচনাৰ বাবে সহায়ক হ'ব, কিন্তু নিজে তথ্যৰ ফালৰ পৰা, বা ৰস-বিচাৰৰ ফালৰ পৰাও যথার্থ ইতিহাস হোৱা টান। বিভিন্ন জনৰ পৰা বিভিন্ন উৎসৰ পৰা সমল সংগ্ৰহ কৰিলেও, ইতিহাস এজনৰ হাতেৰে লিখিলেহে চিন্তাৰ ধাৰাবাহিকতা আৰু লক্ষ্যৰ একমুখিতা ৰক্ষা পৰে। অনেক বছা বছা পণ্ডিত লেখকৰ ৰচনাৰে ইতিহাস প্ৰণয়নৰ ধাৰা যে নাই এনে নহয়। কিন্তু আমাৰ সিমান সংখ্যক তেনে গৱেষক পণ্ডিত ক'ত? 'অল্প বিদ্যা ভয়ংকৰী'— এই আপ্ত বাক্যৰ সত্যতা প্ৰমাণ কৰা লোক অৱশ্যে আছে! তেনে লোকেৰে আমাৰ কাম নিসিজে।

অসমীয়া সাহিত্যৰ ইতিহাসসমূহ অসমীয়া ভাষাৰ কিতাপৰ ইতিহাসৰ দৰে হৈ আছে। তাৰ ভিতৰত ডিম্বেশ্বৰ নেওগৰ মাজত ঐতিহাসিক পটভূমিৰ আৰু আংশিক ৰস-বিচাৰৰ আৰু মহেশ্বৰ নেওগৰ মাজত তথ্যৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব দিয়া চকুত পৰে। সত্যেন্দ্রনাথ শৰ্মাৰ মাজত বিষয়ৰ পটভূমিৰ আৰু বিষয়ৰ কালানুক্রমিক পৰিৱৰ্তনৰ পৰিচয় প্ৰদানৰ প্ৰৱণতা দেখা যায়। তথ্যৰ শুদ্ধতাত গুৰুত্ব দিয়াটো ইতিহাস ৰচনাৰ প্ৰথম চর্ত। তাৰ পিছতহে ৰসৰ বিচাৰ বা বিষয়ৰ পৰিচয় প্ৰদানৰ প্ৰশ্ন উঠিব পাৰে। তদুপৰি, সাহিত্যৰ বুৰঞ্জী বস্তু-নিৰপেক্ষ হোৱাটো অত্যন্ত প্ৰয়োজনীয় বৈশিষ্ট্য। বুৰঞ্জী-লেখকে নিজে ভাল পোৱা লেখকজনৰ বিষয়ে ভালকৈ ক'ব, আৰু বেয়া পোৱাজনৰ বিষয়ে বেয়াকৈ ক'ব এইটো অত্যন্ত ইতিহাস-বিৰোধী কৰ্ম। এজন ইতিহাস-প্ৰণেতা, যিমানেই শিক্ষিত, চতুৰ আৰু মেধা-সম্পন্ন নহওক, তেওঁ যদি একদেশদর্শী হয়, তেওঁৰ পৰা সন্তুলিত বিচাৰ আশা কৰিব নোৱাৰি। ছাৰ্ত্রেই ক'বৰ দৰে— Nobody is beyond human subjectivity, তথাপি, এজন ইতিহাস প্ৰণেতা ব্যক্তিনিষ্ঠতাৰ উৰ্ধলৈ যাবই লাগিব। সেয়ে নহলে, তেওঁক পৰৱর্তী ইতিহাসেই ক্ষমা নকৰিব। এই কথা কেৱল মধ্যযুগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখকসকলৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়, সর্বাধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী-লেখকসকলৰ ক্ষেত্ৰটো সমানেই প্ৰযোজ্য।

মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ বিষয়ে ক'বলৈ গৈ মই সাহিত্যৰ ইতিহাস ৰচনাৰ প্ৰয়োজনীয় চর্তসমূহৰ কেৱল ইংগিতহে দিছোঁ। প্ৰসংগক্রমে এই কথাও কৈ থ'ব খোজোঁ অসমীয়া সাহিত্যৰ এখন পূৰ্ণাংগ বুৰঞ্জী লিখোৱাৰ আগতে এখন পূৰ্ণাংগ অসমীয়া গ্রন্থপঞ্জী প্ৰণয়ণৰ কামটো যদি আনন্দৰাম বৰুৱা সংস্থাৰ দৰে অনুষ্ঠানে হাতত ল'লেহেঁতেন, তেনেহ'লে বোধকৰোঁ ভেটিটো নিৰ্মাণ কৰি লোৱা হ'লহেঁতেন। অসম সাহিত্য সভাৰ যোগে দুটা দশকৰ আগতে প্ৰকাশ কৰা বাষ্ট্রীয় গ্রন্থাগাৰে প্ৰকাশ কৰা— এই দুয়োখন গ্রন্থপঞ্জীয়েই আংশিক আৰু ত্রুটীপূৰ্ণও। অসমীয়া ভাষাত প্ৰকাশিত যিকোনো এখন কিতাপৰ খবৰ দিব পৰা গ্রন্থপঞ্জী এখন আমাক লাগে। ই অলপ আয়াসতে হোৱা কাম নহয়। তদুপৰি এনে পঞ্জীয়ে নাম নথকা লেখকে লিখা সৰু কিতাপ বুলি কোনো কিতাপ এৰি থৈ যাবও নালাগিব। এজন লেখক, যি স্তৰৰে নহওক, তেওঁৰ ৰচনাত

যুগৰ নিশ্বাস বাজি থাকিবই। তদুপৰি, কেতিয়াবা একোখন সৰু কিতাপেও দৰকাৰী তথ্যৰো যোগান ধৰিব পাৰে। উদাহৰণ স্বৰূপে এম. আৰ. দাস নামৰ এজন কোনো অজ্ঞাত লেখকৰ দ্বাৰা লিখিত, শ্রীৰঙ্গলাল দোকানীৰ দ্বাৰা প্রকাশিত আৰু এ. আৰ. এণ্ড. টি. কোম্পানী লিমিটেড প্রেছৰ বি.জি. ঘোষৰ দ্বাৰা মুদ্রিত, সৰু ক্রাউন আকাৰৰ ২৪ পৃষ্ঠাৰ, তিনি অনা দামৰ 'চৰিদেউ কানীয়াৰ কথা' নামৰ 'সামাজিক উপন্যাস' (?) খনিলৈকে আঙুলিয়াব পাৰি। ১৮২০ চন (শক) ত প্রকাশিত এই খুদমান পুথিখনিয়ে ঠিক এশ বছৰৰ আগৰ আমাৰ সমাজ-জীৱনৰ ছবি এটি দাঙি ধৰিছে। এনে হয়তো অনেক সৰু সৰু পুথি ওলাব যিবিলাক হেৰাই গৈছে। গ্রন্থপঞ্জী আৰু সাহিত্যৰ বুৰঞ্জীয়ে আমাক এনে খবৰো দিব পাৰিব লাগে। কেবল হাতে টুকি পোৱা গ্রন্থৰ ভিত্তিত, অথবা নিজে ভাল পোৱা লেখকৰ ওপৰতে গুৰুত্ব দি লিখা কিতাপ আন যিয়েই নহওক, সাহিত্যৰ ইতিহাস পদবাচ্য হোৱা টান। এতেকে, অসম সাহিত্য সভা, অসমৰ দুয়োখন বিশ্ববিদ্যাসয়, অসম প্রকাশন পৰিষদ, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা—এই সকলোৱে সমুখত অসমীয়া গ্রন্থৰ এখন পূৰ্ণাঙ্গ পঞ্জী আৰু অসমীয়া সাহিত্যৰ প্রমাদহীন পূৰ্ণাঙ্গ বুৰঞ্জী ৰচনাৰ দায়িত্ব এতিয়াও থিয় দি আছে।

মধ্যযুগত অসমীয়া সাহিত্য-অধ্যয়নৰ লগত সংগতি থকা আৰু এটি বিষয়ৰ প্রসংগ উত্থাপন কৰিব লগীয়া হৈ আছে। সেই প্রসংগ হ'ল— মধ্যযুগৰ অসমীয়া ভাষাৰ এখন ব্যাকৰণ ৰচনাৰ প্রসংগ। নতুন কমলাবাৰীৰ সত্রাধিকাৰ শ্রীনাৰায়ণচন্দ্র গোস্বামীদেৱে "ব্রজবুলি ভাষাৰ ব্যাকৰণ আৰু অভিধান" শীর্ষক গ্রন্থ এখনি প্রণয়ন কৰি বাট এটি কাটি দিছে। এই বাটটি আমাৰ দুয়োখন বিশ্ববিদ্যালয়ৰ অথবা কলেজৰ অধ্যাপকসকলেই কটাৰ যত্ন কৰিব লাগিছিল। সি যি কি নহওক, এতিয়াও এই বিষয়ে কৰিবলগীয়া কাম পৰি আছে। আমাৰ ভাষাৰ বিশেষত্বসমূহৰ বিকাশৰ অধ্যয়ন আৰু আমাৰ মধ্যযুগৰ অসমীয়া সাহিত্যৰ অধ্যয়ন এই দুয়োটিৰ বাবেই তেনে এটি আহিঁ আমাক লাগে। তদুপৰি, হেমচন্দ্র বৰুৱাৰ "অসমীয়া ব্যাকৰণ" আৰু সত্যনাথ বৰাৰ "বহল ব্যাকৰণ"ৰ পিছত আধুনিক অসমীয়া ভাষাৰ নির্ভৰযোগ্য ব্যাকৰণ এখনিৰ বাবে অনুভূত অভাৱো এতিয়াও পূৰণ হোৱা নাই। আমাৰ পণ্ডিতসকলৰ অনেকে নিজৰ ব্যক্তিগত কৃতিত্ব দেশে-বিদেশে প্রকাশ কৰিবৰ বাবে তৎপৰ; সেই কামো নিশ্চয় বৰ দৰকাৰী। কিন্তু, আমাৰ নিজৰ জাতীয় ভাষা-সাহিত্যৰ গা-টিৰ ফালেওচকু [illegible] তাতেকৈ দৰকাৰী যেন লাগিব নালাগেনে? অসমীয়া বিষয়ত স্নাতকোত্তৰ উপাধি লোৱা লোক আমাৰ দুয়োখন বিশ্ববিদ্যালয়ে প্রতিবছৰে উলিয়াই আছে। কিন্তু, আধুনিক অসমীয়া শব্দার্থ-কোষ এখন প্রণয়ন কৰি উলিয়ালে অভিযন্তা এজনে, আমাৰ ভাষাৰ আখৰ-জোটনিৰ কিতাপ লিখি উলিয়ালে পদার্থ বিজ্ঞাপনৰ অধ্যাপক এজনে। দুয়োগৰাকী আমাৰ প্রশংসার্হ। জ্ঞান-চর্চাৰ যথার্থতে কোনো নির্দিষ্ট সীমা নাই; আৰু দেখা গৈছে বেলেগ শাখাৰ লোকে আনা শাখাত বৰং কেতিয়াবা অধিক দক্ষতাৰে কাম কৰি গৈছে। মোৰ প্রশ্নটো হ'ল, অসমীয়া ভাষা-সাহিত্যৰ শিক্ষকসকলৰ সৰহ সংখ্যকৰ প্রতিহে। তেখেতসকলে নিজৰ নিজৰ ক্ষেত্রত কৰিবলগীয়া কামবোৰৰ প্রতি আগ্রহ অনুভৱ কৰেনে? কেবল এই অনাসক্তি ভাষাৰ অধ্যয়নৰ ক্ষেত্রতো অনুভূত হৈছে। পাঠ্যক্রমত থকা আধুনিক অসমীয়া কবিতা পঢ়ুৱাবলৈ অপাৰগতা প্রকাশ কৰা সাহিত্যৰ শিক্ষকো লগ পাইছোঁ; তাৰ যাই কাৰণটোৱেই হ'ল— সাহিত্য শিল্পত ঘটা পৰিবর্তনবোৰৰ লগত পৰিচয় নথকাটো। ইংৰাজী ভাষাৰ লগত পৰিচয়ৰ যোগসূত্র দুর্বল হোৱাৰ বাবে কেতিয়াবা আকৌ বন্ধ হৈয়েই থাকে। ফলত, কিছুমান হীনমন্যতা সৃষ্টি নোহোৱাকৈও নাথাকে। এনেবোৰ কাৰণত, সাহিত্য-শিল্পৰ মূল্যায়ন কৰিবলৈ বা নিজৰ মত-অভিমত প্রকাশ কৰিবলৈও সংকোচ হোৱাটো স্বাভাৱিক। এই অবস্থাৰ পৰা নিজেই নিজকে উদ্ধাৰ নকৰিলে আনে কোওে উদ্ধাৰ কৰি দিব নোৱাৰে। ইংৰাজী ভাষা তথা সাহিত্যৰ লগত সম্পর্ক থকাসকলেই অসমীয়া সাহিত্যৰ মূল্যায়নত আগভাগ নোলোৱা হ'লে বহু পৰিমাণে আমাৰ শূন্যতাই পূৰ নহ'লহেঁতেন। আচার্য বাণীকান্ত কাকতি, ত্রৈলোক্যনাথ গোস্বামী, সাহিত্যাচার্য যজ্ঞেশ্বৰ শর্মা, হেম বৰুৱা, দিলীপ বৰুৱা, মহেন্দ্র বৰা, নৱকান্ত বৰুৱা, হীৰেন গোহাঁই, ভৱেন বৰুৱা, গোবিন্দপ্রসাদ শর্মা, উপেন্দ্র নাথ শর্মা, হীৰেন্দ্র নাথ দত্ত আদিৰ নাম এই ক্ষেত্রত স্মর্তব্য।

নতুনকৈও কেইগৰাকীমান ওলাই আহিছে সাহিত্যৰ প্রতি এক ছিৰিয়াহ দৃষ্টিভংগী লৈ আৰু অসমীয়া সাহিত্যৰ প্রতি এক আন্তৰিক সম্মানবোধ লৈ। কিন্তু, মাজতে দুই-এজন উন্নাসিকৰো যে আবির্ভাব ঘটা নাই, এনে নহয়। এজন লেখকৰ সৃষ্টি-প্রতিভাৰ প্রতি এক নৈর্ব্যক্তিক সম্মান অনুভৱ নকৰিলে, কোনো সমালোচকৰ কলমৰ পৰা সন্তুলিত বিশ্লেষণ ওলাই নাহে। উন্নাসিক আৰু একদেশদর্শী সমালোচকে নিজৰ তেনে একদেশদর্শী আৰু উন্নাসিক ৰচনাৰে নিজৰ অহংকোষ চৰিতার্থ কৰিব পাৰে; তেনে লোকে সাহিত্যৰ কোনো মংগল সাধন কৰিব নোৱাৰে। সাহিত্য-বিচাৰৰ ইতিহাসে এনেবোৰ সমালোচনা সদায়

উটাই লৈ যায়। নিজে ওপৰত উঠি, তলত থকা নিজৰ জোখৰ বা নিজৰ জোখতকৈও ওখ লোকসকলকো নিজতকৈ ক্ষুদ্ৰ যেন দেখাটো দৃষ্টি-বিভ্ৰম মাত্ৰ এই কথাষাৰ সততেই স্মৰণীয়।

আঠ

শিল্প-সাহিত্য বিভিন্ন দৃষ্টিকোণৰ পৰা সমালোচিত হৈ আহিছে। কেতিয়াবা তাৰ কেৱল ভাৱ-বস্তুৰ, কেতিয়াবা বিষয়বস্তুৰ, কেতিয়াবা তাৰ ৰূপবস্তুৰ আৰু কেতিয়াবা ৰসবস্তুৰ পৃথক পৃথক বিচাৰ কৰা হৈছে, কেতিয়াবা সকলো থুপাই বিচাৰ কৰা হৈছে। তাকে কৰোঁতে কোনো সমালোচকে নিজৰ প্ৰিয় আদৰ্শ, নৈতিকতা বা মাপকাঠীৰে, কোনোৱে নিজৰ নন্দনতাত্ত্বিক মাপকাঠীৰে, জুখি নিজৰ সিদ্ধান্ত দাঙি ধৰিছে। কোনোৱে সমস্তৰৰ ৰচনাৰ লগত তুলনামূলক বিচাৰৰ জৰিয়তে গুণ বা দোষ বিশ্লেষণ কৰি দেখুৱাবৰ যত্ন কৰিছে। কিন্তু, শিল্প বা সাহিত্যৰ মূল্যায়ন কৰোঁতে তাৰ স্বধৰ্মৰ ভিত্তিতহে মূল্যায়ন হোৱা উচিত। সাহিত্য বা অন্য যিকোনো শিল্পৰ যি সৌন্দৰ্য, সেই সৌন্দৰ্য হ'ল— অন্তর্নিহিত মানৱীয় অনুভূতি ইয়াৰ প্ৰকাশ-মাধ্যমত উপযুক্তভাৱে ব্যঞ্জিত হোৱাৰ সৌন্দৰ্য। এই প্ৰকাশৰ মাধ্যম হয় শব্দ, নহয় সুৰ, নহয় ৰেখা। প্ৰতিটো বিষয়ৰ এটা নিজা ভাষা আছে; আনকি নীৰৱতাৰ বা শূন্যতাৰো এটা ভাষা আছে। এই ভাষা আমাৰ মনত সৃষ্টি হোৱা অনুভূতিৰ 'ভাষা'। ইয়েই প্ৰকাশ বিচাৰে শব্দ, সুৰ বা ৰেখাৰ মাধ্যমত। যিটো মাধ্যমৰ ব্যৱহাৰ শিকি তাত দক্ষতা আৰ্জিব পাৰে, তেওঁ সেই মাধ্যমেৰেই নিজৰ অনুভূতিৰ 'ভাষা' প্ৰকাশ কৰে। সেইবাবে মাধ্যম বেলেগ হ'লেও শিল্পৰ 'ভাষা' একে শাৰীৰ। এজন ভাস্কৰে যিদৰে কাঠ বা শিল বা ধাতুক 'ভাষা' দিয়ে, এজন কবিয়েও তেনেকৈ শব্দক 'ভাষা' দিয়ে, এজন গায়কে 'সুৰ'ক ভাষা দিয়ে। এই ভাষা দিয়াৰ যিটো ধৰ্ম সেয়ে সংশ্লিষ্ট শিল্পৰ শিল্পধৰ্ম। মূল্যৱান আৰু মহৎ বাণী, আদৰ্শ বা চিন্তা এটা হ'লেই তাৰ ভেটিত মহৎ সাহিত্য বা শিল্প হ'ব বুলি ভাবিলে ভুল কৰা হ'ব। আমাৰ বিভিন্ন মত বা আদৰ্শত বিশ্বাসী একাংশই সেই ভুলটোকে শুদ্ধ বুলি ভাবি শিল্প বা সাহিত্যৰ ব্যাখ্যা কৰে আৰু শিল্পৰ স্বধৰ্মৰ কথা ক'লে তেনে কথা "শিল্পৰ বাবে শিল্প" সৃষ্টিৰ "বাইন্ডীয়" বুৰ্জোৱা মত বুলি ভৎৰ্সনা কৰে। 'শিল্পৰ বাবে শিল্প" এটা সময়ৰ এটা বিশেষ মত; সেই মতৰ লগত শিল্প-সাহিত্যৰ চিৰায়ত স্বধৰ্ম বা শিল্পত্ব বা সৌন্দৰ্য একাকাৰ কৰি পেলালে শিল্প-সাহিত্যৰ বিচাৰ হ'ব কেনেকৈ? সাহিত্যৰ সৌন্দৰ্য-বিচাৰ সম্পৰ্কে এচামৰ মনত সোমোৱা এই ভ্ৰান্ত ধাৰণাই কেৱল যে সাহিত্য-সমালোচনাকে ক্ষতিগ্ৰস্ত কৰিছে এনে নহয়, সৃষ্টি-প্ৰতিভাকো বিভ্ৰান্ত কৰিছে। সমান ওজনৰ এচপৰা সোণ আৰু এচপৰা মাটিৰ ভিতৰত মাটিচপৰাৰে গঢ়া এটি মূৰ্তি, সমান ওজনৰ সোণৰ চপৰাটোৰেও কিনিব নোৱাৰা মূল্যৰ এটি সম্পদলৈ ৰূপান্তৰিত হ'ব পাৰে। তেনে অৱস্থাত সোণৰ ধাতু হিচাপে থকা মূল্য মাটি চপৰাই লাভ কৰা শিল্প মূল্যৰ ওচৰত নগণ্য হ'ব পাৰে। শিল্প-সাহিত্যৰ অন্তর্নিহিত মূল্য বুজি নোপোৱা কোনো কোনো মতান্ধ আৰু স্থূলবুদ্ধিৰ মানুহক এই কথাবোৰ বুজোৱা বৰ টান।

অনুভতিয়েই অন্তর্জীৱন। তাৰ সুখ-দুখৰ খেলা, আশা-আকাংক্ষাৰ খেলাই বহির্জীৱনৰ ৰূপ দিয়ে। তদুপৰি বহির্জীৱন আকৌ বিশেষ দেশ আৰু কালৰ সীমাত বন্দী হৈ থাকে। শিল্প সাহিত্যই এই বিশেষ মানুহৰ মাজেদিয়েই মানুহৰ নির্বিশেষ অন্তর্জীৱনলৈ যাত্ৰা কৰে। এই নির্বিশেষ অন্তর্জীৱনৰ কোনো দেশ নাই, কাল নাই; ধৰ্ম নাই, ভাষা নাই, সম্প্ৰদায় নাই ভূগোল নাই। সাহিত্য-শিল্পৰ মাজত আমি কোনো তত্ত্ব, তথ্য, আদৰ্শ বা মতৰ জ্ঞান আৰু বাণী নিবিচাৰোঁ; আমি বিচাৰোঁ এই নির্বিশেষ মানুহটোৰ অন্তর্জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষাৰ বাণী শুনিবলৈ, সেই বাণী আমাৰ হৃদয়ত ধাৰণ কৰিবলৈ আৰু তাৰ লগত একাত্ম হ'বলৈ। সেই নির্বিশেষ মানৱীয় চৰিত্ৰটি শ্বে"পীয়েৰৰ হেমলেট নে, গৰ্কীৰ পাভেল, নে কালিদাসৰ শকুন্তলা, নে বিভূতিভূষণৰ অপু, নে বীণা বৰুৱাৰ তগৰ— সেই প্ৰশ্ন অবান্তৰ।

কোনো সন্দেহ নাই প্ৰত্যেক মানুহেই তেওঁৰ নিজৰ সময় আৰু সমাজত বাস কৰে। এই বিষয়েও সন্দেহ নাই যে মানুহৰ বাস্তৱ জীৱন আৰু বস্তুজীৱনে তাৰ চিন্তা, ভাৱনা, ব্যৱহাৰ আৰু কাম নিয়ন্ত্ৰণ কৰে। কোনো সন্দেহ নাই যে মানুহৰ সামাজিক মনটোৱেই তাৰ চেতন মনক নিয়ন্ত্ৰণ কৰে। সামাজিক প্ৰমূল্যবোধৰ ওপৰত সমাজৰ বাস্তৱ-জীৱন আৰু বস্তু-জীৱনৰ প্ৰভাৱ স্পষ্ট হৈ থাকে। এই প্ৰমূল্যবোধ মনত দ-লৈকে শিপায়। ফলত কোনো বিশেষ ঠাই আৰু সময়ৰ মানুহে কোনো বিশেষ অৱস্থাত একে ধৰণেৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সেইবাবে অনেকে এই মত পোষণ কৰে যে "Experience that is wholly private is impossible; all experiences, even the most intimates, comes to

us through social reality of which we are a part. " (David McLellan "Political Theory")। দেখাত কথাষাৰ খুব সত্য; কিন্তু মানুহৰ যে এটা অন্তর্জীবন আছে আৰু ই অৱচেতনৰো অংশবিশেষ, এই কথাষাৰ মনত নাৰাখিলে একেটা আদর্শৰ মাপকাঠীৰে মানুহক জুখিবলৈ গৈ মানুহৰ আচল জোখটো উলিয়াব নোৱাৰিম। আমি সকলো শিল্পত বিশেষ মানুহৰ পৰা মাজেদি নির্বিশেষ মানুহলৈ যাওঁ আৰু নির্বিশেষ মানুহক বিশেষ মানুহৰ মাজত বিচাৰোঁ। যিটো ব্যক্তিগত মানুহৰ মাজত থকা নির্বিশেষ মন, সেইটোৰেই বিশ্বমনো।

'মার্ৱাদে, বাস্তৱ-জগত আৰু বস্তু-জগতৰ দ্বাৰা নিয়ন্ত্রিত মনেই শিল্প-সাহিত্যৰ মাজেদি অভিব্যক্ত হয় বুলি আৰু সামাজিক বাস্তৱতাবাদৰ আধাৰত ৰচিত সাহিত্যহে গ্রহণীয় বুলি কৈছে,'— এই বুলি ভৱাসকলে জানিবৰ বাবে কওঁ, —মার্ৱ প্রিয় লেখক আছিল কিন্তু হাইনে, গ্যেটে, শ্বে'পীয়েৰ, ইস্কাইলাছ, ফিল্ডিং, ডুমা, ৱাল্টাৰ স্কট্, বাল্জাক আদি লেখকসকল। এওঁবিলাকৰ কোনোজনকে মার্ৱ অনুগামীসকলে বিচৰা লেখকৰ শাৰীত পেলোৱা টান। তেনেদৰে, বীথোফেন আছিল লেনিনৰ আটাইতকৈ প্রিয় সঙ্গীতজ্ঞ। Franz Mehring ৰ Karl Marx নামৰ গ্রন্থত অন্তর্ভুক্ত, মার্ক কৰা এটা প্রশ্ন আছিল— তেওঁৰ প্রিয় বাণী কি? মার্ে উত্তৰ দিছিল, "যি অমানৱীয় সিয়েই অনাত্মীয়"। "সবাৰ উপৰে মানুষ সত্য তাহাঁৰ উপৰে নাই"— মার্ৱ উত্তৰৰ মাজত চণ্ডীদাসৰ এই উপলব্ধিয়েই ধ্বনিত। মার্ৱ দৃষ্টিত সকলো বন্ধনমুক্ত, স্বাধীন মানুহৰ ছবিটোৰেই আছিল। আমাৰ চন্দ্রকুমাৰে ক'ৰৰ দৰে, "মুকলিমনৰ মানৱী মূর্তি অকলংক মাধুৰিমা। দিব্যদৃষ্টি এয়ে সপোনে-সচিতে, নাই সপোনৰো সীমা"। মার্ আছিল যথার্থতে মানৱিকবাদী। সেইবাবে দেশ, কাল, অৱস্থাৰ মাজত থকা মানুহৰ ভিতৰৰ মানুহটোক তেওঁ চিনি পাইছিল সঠিকভাৱেই। কিন্তু ইতিহাসৰ পৰিহাস এয়ে যে মার্ৱ অনুগামীসকলৰ সৰহ সংখ্যকেই মার্তকৈও বেছি মার্ৱাদী হৈ পৰিল আৰু তেওঁবিলাকৰ চকুৰ আগৰ পৰা নির্বিশেষ মানুহটো নাইকিয়া হ'ল। বিশেষৰ মাজতো এই নির্বিশেষ মানুহটোক চিনি নাপায়, তেওঁ শিল্প-সাহিত্যৰ সমালোচনাৰ কার্যত হাত দিয়া উচিত নহয়। কাৰণ, শিল্প-সাহিত্যৰ প্রাণবস্তু হ'ল এই নির্বিশেষ মানুহৰ আন্তর্জীবন, ইয়াক কোনো ভাষা, ধর্ম, সম্প্রদায়, কাল, আদর্শৰ সীমাত বন্দী কৰি ৰাখিব নোৱাৰি। ই স্থানীয় হৈয়ো সার্বজনীন, জাতীয় হৈয়ো আন্তর্জাতিক। সেইবাবে যথার্থ শিল্প-সাহিত্যৰ ঘাই আধাৰেই হ'ল শিল্পী বা সাহিত্যিকৰ গভীৰ মানৱিক আনুভূতিক চেতনা কিমান সার্থকভাৱে সঞ্চৰিত হৈছে তাৰ সন্ভেদ দিব বুলি আমি বাট চাই থাকোঁ। 'কবিৰ অনুভূতিয়েই তেওঁৰ বাণী'— এই কথাষাৰ সততে স্মৰণীয়। কবিয়ে শব্দবে তেওঁৰ অনুভৱৰ লগত পাঠকক একাত্ম কৰাতেই তেওঁৰ সার্থকতা।

দণ্ডীয়ে তেওঁৰ 'কাব্যাদর্শ'ত "শৰীৰং তাৱদিষ্টার্থ ব্যবচ্ছিন্নাপদাৱলী" বুলি কাব্য-শৰীৰৰ প্রতি আৰু আৰু আনন্দবর্ধনে 'ধ্বন্যালোক'ত কাব্যস্যাত্মা ধ্বনি ৰীতি...." বুলি কাব্যৰ প্রাণবস্তুৰ প্রতি দৃষ্টি আকর্ষণ কৰি গৈছে; আৰু তেওঁবিলাকৰ এই বিচাৰ এতিয়াও সত্য হৈ আছে, আগলৈও থাকিব। অৱশ্যেই মনত ৰাখিব লাগিব যে কাব্য শব্দ 'সাহিত্য' অর্থতেই প্রাচীন ভাৰতত ব্যবহৃত হৈছিল।

সাহিত্য-সমালোচনাত নতুন নতুন ঢৌ উঠিছে আৰু মৰিছে। কিন্তু মানুহৰ জীৱন-দৃষ্টিও সলনি হৈছে সময়ে সময়ে। এতিয়া গঠনবাদ আৰু নির্গঠনবাদৰ সূত্রই আমাৰ বিদ্যায়তনিক জীৱনকো স্পর্শ কৰিছেহি। এতিয়া সাহিত্য-তত্ত্বৰ লগত ভাষাতত্ত্ব আৰু ভাষাতত্ত্বৰ লগত সামাজিক-সাংস্কৃতিক নৃতত্ত্বও সংযুক্ত হৈছেহি। এজন লেখকে অৱলীলাক্রমে ব্যবহাৰ কৰা শব্দ এটাৰ পিছফালে এক দীঘলীয়া ইতিহাস থাকিব পাৰে আৰু তাৰ মাজত এক ব্যঞ্জনা নিহিত হৈ থাকিব পাৰে— সেই ধাৰণাই সাহিত্য-সমালোচনাক এক নতুন মাত্র দিছে। আধুনিক মানুহৰ মন আৰু দৃষ্টি ভংগীয়েও জটিলতা আহৰণ কৰিছে। কিন্তু তথাপি মানুহৰ অনুৰাগ, উৎসাহ, ভয়, শম, হাস্য, বিস্ময়, ক্রোধ, শোক আৰু জুগুপ্সা— একেদৰেই আছে। এতিয়াও জীৱনৰ প্রতি গভীৰ অনুৰাগে আৰু হেৰুওৱাৰ শোকেই মানুহক উতলা কৰি আহিছে। মানুহৰ সকলো কথা, সকলো গীত এই প্রাপ্তিৰ আকাংক্ষা আৰু বিচ্ছেদৰ বিষাদকে বুকুত বান্ধি উটি-ভাহি ফুৰিছে। জন্ম-মৃত্যুৰ সীমাত বন্দী তাৰ এই পার্থিব, সরু, চুটি জীৱনটোৰ অস্তিত্বই বা কি, অনস্তিত্বই বা কি? তাৰ বুকুত, পৃথিৱীত প্রথম পোহৰ পৰাৰ দিনৰ পৰাই অবিৰাম বাজি আছে— সেই একে প্রশ্ন? অন্তহীনতাৰ সংজ্ঞা কি। আকাশৰ সংজ্ঞা কি? সময়ৰ সংজ্ঞা কি?

বিজ্ঞানে কৈছে যে একবর্গ কিলোমিটাৰ আকাশ চেপি পেলাব পাৰিলে এটা ডাক টিকটৰ ওজনৰ সমান পদার্থ সৃষ্টি হ'ব। তেনেহ'লে আমাৰ প্রত্যেকৰে শৰীৰটো হ'বলৈ কিমান আকাশ লাগিব, আৰু আমাৰ এই পৃথিৱীখন হ'বলৈ, আমাৰ সৌৰমণ্ডলৰ গ্রহ-উপগ্রহবোৰ হ'বলৈ কিমান আকাশ লাগিব— আমি কল্পনা কৰিব পাৰোনে? এনেকুৱা অনন্ত কোটি ব্রহ্মাণ্ড আছে। তাৰ

কিবা জোখ মানুহৰ মস্তিষ্কই ঢুকি পাব পাৰেনে? উপনিষদে "অনোৰণীয়ান মহতোমহীয়ান" আত্মা বা ব্ৰহ্মক কেৱল অনুভৱহে কৰিব পাৰি বুলি কৈছে; এই কথাও কৈছে যে অনুভূতি বা উপলব্ধিৰ বিষয় প্ৰকাশ কৰাৰ কোনো শব্দও নাই, ভাষাও নাই। ব্ৰহ্মৰ এই স্বৰূপ উপলব্ধিয়ে অনন্তিত্বৰ মাজতো নিজৰ অস্তিত্বৰ ধাৰণা দিব পাৰে; সন্ন্যাসৰো জন্ম দিব পাৰে; কিন্তু এই যে হেঁকুওৱা সময় আৰু হেঁকুওৱা জীৱন ঘূৰাই কেতিয়াও নোপোৱাৰ ব্যাখ্যাহীন দুখ, তাৰ অন্ত ক'ত?

পার্থিৱ জীৱনৰ অসহায়তা, অক্ষমতা, অনন্ত শূন্যতাৰ অন্ত নাই। এই অনন্ত বিশ্ব আৰু অনন্ত সময়ৰ বুকুত জীৱন এক অনস্তিত্বৰ অভিজ্ঞতাৰ বাহিৰনো কি? অথচ তাৰ মাজতে আমি মানুহে নিজৰ ভিতৰত দ্বন্দ্ব, সংঘাত, সংঘৰ্ষ কৰি ক্ষুদ্ৰ সময়ক আৰু ক্ষুদ্ৰ কৰিছোঁ। মই গভীৰভাৱে অনুভৱ কৰোঁ জীৱনৰ ঘাই স্বৰটো দুখ আৰু শূন্যতাৰ। জীৱনৰ মৌলিক প্ৰশ্নৰ উত্তৰহীনতাই সৃষ্টি কৰা ব্যাখ্যাহীন বেদনাই সকলো মহৎ সৃষ্টিৰ আধাৰ। সেইবাবেই "একোৰসঃ কৰুণ এৱ"। পশ্চিমে আমাক এই বেদনাতে এৰি দিছে। পাশ্চাত্যই এই বেদনা অতিক্ৰম কৰাৰ বাবে যত্ন কৰিছে। সন্তসকলে মানুহক এই দুখবোধৰ পৰা পৰিত্ৰাণৰ বাবে পথ-নিৰ্দেশ কৰাৰ যত্ন কৰোঁতেই ধৰ্মৰ সৃষ্টি হৈছে। কিন্তু সকলো ধৰ্মৰ মৌলিক লক্ষ্য এৰাই গৈ আচাৰ-সৰ্বস্বতাত বুৰ গৈ মানুহক সংকীৰ্ণ আৰু গোড়া কৰে। সকলো আনুষ্ঠানিক ধৰ্মৰে এই পৰিণতি দেখিয়েই গণিতজ্ঞ-দাৰ্শনিক হোৱাইট্ হেডে কৈছিল— "The world will be more religious if all the religions are removed."

এতিয়া মানুহে, একবিংশ শতিকাৰ মানুহে, দৰ্শনৰ জ্ঞান আৰু ৰহস্যবাদৰ বোধৰ মাজতে শান্তি বিচাৰিব লাগিব। আমাৰ ৰাজ্যত কম-বেছি পৰিমাণে বুৰঞ্জীৰ চৰ্চা হৈছে; দৰ্শনৰ কিন্তু হোৱা নাই। দৰ্শন মানে মই ৰাজনৈতিক দৰ্শন বুজাব খোজা নাই, যদিও ৰাজনৈতিক দৰ্শনৰো শেষ লক্ষ্য মানুহৰ মংগল সাধন, তাৰ পথ বেলেগ হ'ব পাৰে। কিন্তু তৎসত্ত্বেও এই দৰ্শন মানুহৰ ঐহিক জীৱনৰ মাজত সীমাৱদ্ধ। সেইবাবে আপাতদৃষ্টিত সকলো ৰাজনৈতিক দৰ্শনেই সীমাবদ্ধ। ৰাজনৈতিক দৰ্শন সমূহে আমাক আমাৰ ক্ষুদ্ৰত্ব অনুভৱ কৰিবলৈ নিদিয়ে; বৰং আমাক আমাৰ শক্তি, পৰাক্ৰম আৰু শ্ৰেষ্ঠত্ব-সম্পৰ্কে জোখতকৈও সজাগ কৰি তোলে, আৰু নিৰ্বশেষ মানুহৰ ছবিখন মচি বিশেষ মানুহৰ ছবিখন আঁকি দিয়ে। কিন্তু লেখকসকলে বিশেষৰ আধাৰত নিৰ্বিশেষ মানুহৰ ছবি আঁকে।

অসমীয়া সাহিত্যত বিশেষৰ মাজতো এই নিৰ্বিশেষ মানুহৰ ছবিখন আমি লোক-সাহিত্যৰ পৰা শিষ্ট সাহিত্যলৈকে অনেক ঠাইত ফুটি উঠা দেখা পাওঁ। কেতিয়াবা শংকৰদেৱৰ ৰৰগীতত, মাধৱদেৱৰ নামঘোষাত, আজান ফকীৰৰ জিকিৰত, আমাৰ দেহবিচাৰৰ গীতত, বিছনাম আৰু গোৱালপৰীয়া গীতত, চন্দ্ৰকুমাৰ-অম্বিকাগিৰী-যতীন্দ্ৰনাথ-দেৱকান্ত-নৱকান্ত-হীৰেন ভট্টাচাৰ্য আৰু নীলমনি ফুকনৰ কবিতাত; বীণা বৰুৱা-বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য-চৈয়দ আব্দুল মালিকৰ উপন্যাসত; বেজবৰুৱা মহিম বৰা সৌৰভ কুমাৰ চলিহাৰ গল্পত; জ্যোতিপ্ৰসাদ-হিমেন বৰঠাকুৰ-অৰুণ শৰ্মাৰ নাটত বিশেষৰ মাজৰ নিৰ্বিশেষ মানুহক আমি লগ পাই যাওঁ। খণ্ডিতভাৱে অনেকৰ মাজত এই নিৰ্বিশেষ মানুহৰ সুখ-দুখৰ ছবি ফুটি উঠিছে। কিন্তু, এইক্ষেত্ৰত আমি আমাৰ সমালোচকসকলৰ পৰা উপযুক্ত বিচাৰ পাইছোঁ বুলি ক'ব নোৱাৰোঁ।

ভাষা আৰু সাহিত্যৰ ইতিহাস মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ ইতিহাসৰ পৰা পৃথক বস্তু নহয়। ৰূপান্তৰৰ মাজেদি মানুহ আহি আছে আৰু লগে লগে তাৰ ভাষা-সাহিত্য-সংস্কৃতিও আহি আছে। ইতিহাস কোনো বিন্দুতে স্থিৰ হৈ নৰয়, ৰ'ব নোৱাৰে প্ৰতিটো বিষয়ৰ শেষ হ'ব খোজা বিন্দুটোৱেই বিষয়ৰ নতুন ইতিহাসৰ আৰম্ভণি-বিন্দু স্বৰূপে চিহ্নিত হৈ আহিছে। অন্তহীন কালচক্ৰৰ লগতে ইতিহাসৰো অন্তহীন যাত্ৰা চলি থাকে। মানুহ, মানুহৰ ভাষা, সাহিত্য, সভ্যতা, সংস্কৃতি বিশেষ বিন্দুৰে আগবাঢ়ি গৈ থাকোঁতেও এই নিৰৱধি কালৰ নিৰ্বিশেষ বুকুৰ মাজতে গৈ থাকে।

এহাতে এই অনন্ত বিশালতাৰ ব্যঞ্জনা আৰু আনহাতে মানুহৰ সূক্ষ্মতম অনুভূতিৰ ব্যঞ্জনা— ইয়াকেইতো শিল্প-সাহিত্যই কঢ়িয়াই লৈ আহে— কেতিয়াবা একেলগে, কেতিয়াবা পৃথকে পৃথকে। Gothe-ই কোৱা 'বিশ্ব-সাহিত্য'ৰ স্বৰূপো সাহিত্যৰ এই বৈশিষ্ট্যৰ মাজতে নিহিত হৈ থাকে।

ভাৰতীয় প্ৰাচীন সাহিত্যত বিশালতাৰ ব্যঞ্জনা আৰু সূক্ষ্মতম অনুভূতিৰ ব্যঞ্জনা একেলগে বাজি আছে। আঞ্চলিক ভাষাৰ সাহিত্যলৈও এই ব্যঞ্জনা সম্প্ৰসাৰিত হৈছে। ফলত বিচিত্ৰতাৰ মাজতো এটা ভাৰতীয় জীৱনবোধ গঢ় লৈ উঠিছে। তাৰ লগত সংযোজিত হৈছেহি আধুনিক মন। আনকি সুকুমাৰ শিল্পৰ অন্যান্য অংগবোৰতো তাৰ ভাব-শক্তি সক্ৰিয়। অসমীয়া মনৰ লগত ভাৰতীয় মনৰ আৰু ভাৰতীয় মনৰ লগত বিশ্ব-মনৰ সংযোগ নীৰৱে এনেভাৱেই সাধিত হৈছে। আমাৰ কাব্য, নাটক, গল্প

উপন্যাসতো তাৰ প্ৰবাহ এটি বৈ আছে। ঐতিহ্য আৰু আধুনিকতা আমাৰ আধুনিক সাহিত্যৰ উৎকৃষ্টতাশিলতো সন্নিলিত হৈছেহি। আমাৰ সাহিত্যৰ এই বিশেষত্ববোৰ আমি সূক্ষ্মভাবে এতিয়াও বিচাৰ কৰা নাই। তদুপৰি, আমাৰ সাহিত্যৰ পৰ্যাপ্ত অনুবাদো হোৱা নাই যে অন্যান্য ভাৰতীয়সকলে আমাৰ সাহিত্যৰ সোৱাদ আৰু জোখ ল'ব পাৰে। আমাৰ ভাষা অনুবাদতো দৰিদ্ৰ হৈ আছে। আজিলৈকে শ্বে"পীয়েৰ ৰচনা-সমগ্ৰই অনূদিত হোৱা নাই। ক্লাছিৰ অনুবাদেহে আমাৰ মন চহকী কৰিব পাৰিব। এই দিশটোৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলোঁ।

ন

আমাৰ সাহিত্য বঁটাসমূহৰ ক্ষেত্ৰতো কোনো কোনো সময়ত গুণগত বিচাৰৰ পৰিবৰ্তে ব্যক্তিগত বিচাৰে অগ্ৰাধিকাৰ লাভ কৰি অহাৰ বাবেই সাহিত্য বঁটা সম্পৰ্কে মানুহৰ আগ্ৰহ আৰু সম্মানবোধ কমি যাবলৈ ধৰিছে। বঁটাৰ বিচাৰক বিশিষ্ট সাহিত্যিকেও যেতিয়া ব্যক্তিগতভাবে তেওঁ ভাল পোৱা বেয়া পোৱাৰ ওপৰত নিৰ্ভৰ কৰি, নিজৰ মত সাব্যস্ত কৰে, তেতিয়া বঁটাৰ মান কি হ'ব সহজেই অনুমেয়। কম বয়সীয়া উন্নাসিক লোকক আৰু অত্যন্ত ব্যক্তিনিষ্ঠ বয়সস্থ লোকক এনেবোৰ দায়িত্ব দিলে তাৰ ফল তেওঁবিলাকৰ মৰ্জি অনুসৰিয়েই হয়, গুণগত বিচাৰৰ ফল পোৱা নাযায়। অসম সাহিত্য সভাৰ বঁটাসমূহৰ ক্ষেত্ৰত এই বিষয়ে চোকা দৃষ্টি দিয়াৰ যত্ন কৰিব লাগিব। সাহিত্য সভাৰ বঁটাসমূহৰ ধনৰ মূল্যতকৈ যাতে তাৰ বিচাৰৰ মূল্য অধিক হয়, আৰু এজন লেখকে যাতে অসম সাহিত্য সভাৰ বঁটা লাভ কৰাটো উচ্চ সম্মানৰ কথা বুলি অনুভৱ কৰিব পাৰে, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ যত্ন কৰাটো অত্যাবশ্যকীয় বুলি সভাই বিবেচনা কৰিব লাগিব। তেহে সভাৰো মান বাঢ়িব আৰু সাহিত্যৰো মান বাঢ়িব। কাকো জোৰ কৰি যিদৰে ডাঙৰ কৰিব নোৱাৰি, জোৰ কৰি তেনেকৈ সৰুও কৰিব নোৱাৰি। ন-পুৰণি লেখকসকলেও এটা কথা মনত ৰাখিব লাগিব যে সাহিত্যৰ ঘাই আধাৰ হ'ল প্ৰেম; ঘৃণা আৰু বিদ্বেষ নহয়। কোনো বিশেষ মানুহৰ প্ৰতি ঘৃণা আৰু বিদ্বেষ প্ৰকাশ কৰিবৰ বাবে কলম লোৱা সকলৰ শব্দ যিমানেই শক্তিশালী নহওক, সাহিত্যৰ ইতিহাসে তেনে শব্দ সদায় অগ্ৰাহ্য কৰি আহিছে। তেওঁবিলাকে অতি খন্তেকীয়া আলোড়ন এটা সৃষ্টি কৰিলেও কৰিব পাৰে; বেছি দিনলৈ তিষ্ঠি নাথাকে। কাৰণ, এজন লেখকে নিৰ্বিশেষ মানৱীয় সত্তাক ভাল পাব পাৰিব লাগিব। এই নিৰ্বিশেষ মানৱীয় সত্তাটোৰ কোনো শ্ৰেণী নাই, জাত নাই, ধৰ্ম নাই, ভাষা নাই, দেশ নাই। সকলো অপকৰ্মৰ ঘাই উৎস হ'ল মানৱীয় দুৰ্বলতা। এই মানৱীয় দুৰ্বলতাবোৰৰ সজীৱ চিত্ৰণেই পাঠকক তেনে দুৰ্বলতা সম্পৰ্কে সজাগ কৰি তুলিব; মানৱীয় দুৰ্বলতাক গালি-শপনি পাৰি, লেখকে নিজৰ ঘৃণা প্ৰকাশ কৰিলে তেওঁৰ ৰচনা সাহিত্য পদবাচ্য নহ'ব; অৱশ্যে এনে ৰচনাক 'ভৎৰ্সনা সাহিত্য' বুলিব পাৰি নেকি ভাবি চাব লাগিব। পঁচিছ বছৰ মানৰ আগতে হাততে পৰা এখন 'পদ্য' পুথিত পদ্যকাৰ কবিয়ে প্ৰেয়সীক নাপাই তেওঁক 'ঈশ্বৰেও চাই ল'ব' আৰু কবিয়েও 'চাই ল'ব' বুলি নানা ধৰণেৰে ভীতি প্ৰদৰ্শন কৰা পঢ়িবলৈ পাই মই পুথি সমালোচনা শিতানত পুথিখনিৰ বিষয়ে এটা বাক্য মাত্ৰ লিখিছিলোঁ : "অসমীয়া ভাষাত প্ৰণয় কাব্য আছে, প্ৰতিশোধ-কাব্য নাছিল; এই পুথিখনিয়ে এই অভাব পূৰালে"! এনেবোৰ 'সাহিত্য-কৰ্ম'ত শক্তি, সময়, অৰ্থ ব্যয় কৰাটো যে অপচয় মাত্ৰ সেই কথা সময়েহে যদি বুজাব পাৰে।

আমাৰ এই সৰু ৰাজ্যখনৰ সাহিত্য-জগততো অনেক সৰু সৰু গোট হৈছে। কোনো লেখকৰ কিতাপ বজাৰত ওলাল কি নোলাল তাৰ সপ্ৰশংস আলোচনা লগে লগে প্ৰকাশিত হয়। নিজৰ গোটৰ বাহিৰৰ সকলৰ ক্ষেত্ৰত সেই কথা কিন্তু প্ৰযোজ্য নহয়, তেহেলৈ লেখা যেনেকুবাই নহওক! ই দুৰ্ভাগ্যজনক। গুণলৈ নাচাই মুখলৈ চাই সাহিত্য সমালোচনা কৰাটো স্বজন-প্ৰীতিৰ পৰিচায়ক। আমাৰ যথাৰ্থ সমালোচকসকলে এই কথা মনত ৰখা ভাল।

সাহিত্য সমালোচনাৰ ভাষা শুদ্ধ, সৰল পৰিষ্কাৰ আৰু যুক্তিপূৰ্ণ নহলে তেনে সমালোচনাই বিভ্ৰান্তিহে যে সৃষ্টি কৰিব পাৰে, তাৰ উদাহৰণ য'তে-ত'তে সিঁচৰতি হৈ পৰি আছে।

কেতিয়াবা এনে অভিজ্ঞতাও হৈছে যে এনে ধৰণৰ কোনো পুথি মেলি লৈয়েই প্ৰতিটো বাক্যত এনেভাবে উজুটি খাবলৈ লওঁ যে থমকি ৰ'ব লগীয়া হয়। ভাষাৰ শুদ্ধ-চণ্ডালী দোষ, প্ৰকাশ-ভংগীৰ অস্পষ্টতা, বিষয়-বিচাৰত উদ্দেশ্য-ধৰ্মিতা, অসমীয়া মধ্যবিত্তক গালি পাৰিবলৈ বংগৰ পৰা 'সাম্যবাদ'ৰ লগত আমদানি কৰি অনা গালি-শপনিৰ অসমীয়া ৰূপৰ ব্যৱহাৰ দেখি, আৰু ইতিহাস বিচাৰৰ নামত পক্ষপাতদুষ্ট মত-অভিমত সজোৰে উত্থাপন কৰা দেখি, কানি-মুনি লাগিবৰে অৱস্থা হয়। এনেবোৰ লেখাৰ পৰা পৰিত্ৰাণ নাপালে অসমীয়া ভাষা কোনখিনি পায়গৈ, ধৰা টান। ভিতৰত ক্ৰোধৰ আৰু বিদ্বেষৰ 'বিষ' লৈ লিখা ৰচনা সন্তুলিত চৰিত্ৰৰ হ'ব কেনেকৈ? প্ৰকৃত ৰুচিবান সমালোচক আৰু সৃষ্টিশীল লেখকে ভাষা ৰুচি-বিগৰ্হিত ৰূপত ব্যৱহাৰ

কৰিব নোৱাৰে। এতেকে, সমালোচকৰ ক্ষেত্ৰতো সুৰুচিৰ শিক্ষা প্ৰাথমিক শিক্ষা হ'ব লাগিব। তদুপৰি, আমাৰ সাহিত্যৰ সমালোচকসকলে, আমাৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰাণ-প্ৰবাহটো চিনি পাব লাগিব। যিসকলৰ ইয়াৰ লগত আন্তৰিক পৰিচয় নাই, তেখেতসকলৰ আগ্ৰহ থাকিলেও আমাৰ জাতীয় সাহিত্যৰ প্ৰাণ স্পৰ্শ কৰিব পৰাৰ সম্ভাৱনা বৰ খীন।

দহ

অসমত গদ্য ৰচনাতকৈ কবিতা ৰচনাত হাত দিয়া লোকৰ সংখ্যা বৃদ্ধি পোৱাটোও একপ্ৰকাৰ ভয়ৰ কাৰণেই হৈছে। কাৰণ, কবিতাৰ ভাষা হ'ব লাগে একোটা ভাষাৰ সাৰবস্তা কঢ়িয়াই আনিব পৰা ক্ষমতাৰ অধিকাৰী। এতেকে, যি ভাল গদ্য লিখিব নোৱাৰে, তেওঁ ভাল কবিতা লিখিব পাৰিব বুলি কোনো প্ৰকাৰেই আশা কৰিব নোৱাৰি। গদ্যৰ ভাষা যাৰ অস্পষ্ট, শৃংখলাহীন, ত্ৰুটীপূৰ্ণ তেওঁ কবিতা লিখাৰ আগতে নিজৰ গদ্য স্পষ্ট, অৰ্থবোধক, সুশৃংখল আৰু প্ৰমাদমুক্ত কৰি ল'ব লাগিব।

আধুনিক অসমীয়া গদ্যৰ শ্ৰেষ্ঠ আৰ্হি বেজবৰুৱাৰ গদ্য। বেজবৰুৱাৰ মন ঐতিহ্যাশ্ৰয়ী হৈয়ো ইমান আধুনিক আছিল যে উনবিংশ শতিকাত জন্ম লাভ কৰা বেজবৰুৱা একবিংশ শতিকাতো আধুনিক হৈ থাকিব বুলি আশা কৰিব পাৰি। অসমীয়া ভাষত লিখিব খোজাসকলৰ বাবে বেজবৰুৱা অৱশ্যে পাঠ্য হৈ আছে আৰু অনেক দিনলৈকে থাকিব। বেজবৰুৱাই প্ৰয়োজনীয় শব্দ যিকোনো উৎসৰ ভাষাৰ পৰা আহৰণ কৰাত ক'তো ইতস্ততঃ কৰা নাই। কাৰণ, প্ৰয়োজনীয় শব্দই যে ভাষা চহকী কৰে, সেই কথা তেওঁ ভালকৈ জানিছিল। কিন্তু, ভাষাৰ জতুৱা ঠাঁচটো ৰক্ষা কৰাত তেওঁ সৰ্বাধিক গুৰুত্ব দিছিল। জতুৱা ঠাঁচৰ ফালৰ পৰা দৰাচলতে অসমীয়া ভাষা এতিয়াহে সংকটৰ সম্মুখীন হৈছে। আমাৰ ভাষাত যোৱা দশকটোত সৰু-ডাঙৰ অনেক কাকত আৰু আলোচনী ওলাইছে আৰু ইয়াৰ সৰহ সংখ্যকেই ভাষাৰ ব্যৱহাৰত দুই ধৰণেৰে প্ৰভাৱ পেলাইছে ঃ অসমীয়া ভাষাৰ জাতত নুঠা শব্দ আৰু প্ৰকাশ-ভংগীৰ ব্যৱহাৰেৰে, আৰু ভাষাৰ শালীনতা নষ্ট কৰিব পৰা শব্দ আৰু প্ৰকাশ -ভংগীৰ প্ৰয়োগৰে। ইয়াৰ লগত আখৰ-জোঁটনিৰ প্ৰমাদো নথকা নহয়। ছপা-মাধ্যমৰ শক্তিশালী প্ৰভাৱ সমাজৰ ওপৰত অপ্ৰতিৰোধ্যভাৱে পৰে; ফলত ছপা মাধ্যমত প্ৰকাশ পোৱা এনেবোৰ প্ৰমাদে ভাষাক অতি সহজে ক্ষতিগ্ৰস্ত কৰিব পাৰে। এই বিষয়টোৰ প্ৰতি সংশ্লিষ্ট সকলো পক্ষৰে দৃষ্টি আকৰ্ষণ কৰিলোঁ।

বেজবৰুৱাৰ পিছত আৰু দুজন গদ্য লেখকৰ ৰচনাৰ লগত পৰিচিত হোৱাৰ প্ৰয়োজন আছে— বাণীকান্ত কাকতিৰ গদ্য আৰু সত্যনাথ বৰাৰ গদ্য। বাণীকান্ত কাকতিৰ গদ্যত একপ্ৰকাৰ সৃষ্টিশীল উত্তাপ অনুভূত হয় আৰু সত্যনাথ বৰাৰ গদ্যত পোৱা যায় ভাষাৰ মেদবাহুল্যহীন সৰলতা আৰু স্পষ্টতা। মই আধুনিক অসমীয়া গদ্যৰ ইতিহাসত আৰু চাৰিগৰাকী লোকৰ শৈলীৰ বিশেষত্বৰ প্ৰতি নতুন লেখকসকলৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ। তেওঁবিলাক হ'ল—অসমীয়া আধুনিক গদ্যত কথিত গদ্যৰ বৈষ্ণৱ সাহিত্যৰ আৰু সংস্কৃতৰো এক অপূৰ্ব স্পৰ্শ দি যাওঁতা ,তীৰ্থনাথ শৰ্মাৰ গদ্য, অসমীয়া গদ্যক উজনিৰ কথিত জতুৱা মান্য ৰূপ আৰু বুৰঞ্জীৰ গদ্যৰ সমন্বিত ৰূপ দিওঁতা বেণুধৰ শৰ্মাৰ গদ্য, অসমীয়া গদ্য, আৰু আধুনিক অসমীয়া ভাষাৰ প্ৰকাশ ক্ষমতাক ওজন আৰু শক্তি প্ৰদান কৰোঁতা হোমেন ৰবগোহাঞিৰ গদ্য। সাম্প্ৰতিক কালৰ অসমীয়া ভাষাক বন্ধনমুক্ত কৰি বেগবান ৰূপ দিওঁতা সৌৰভ কুমাৰ চলিহাৰ গদ্যই এটা নতুন মাত্ৰা সংযোগ কৰিলেও যিকোনো লোকৰ বাবে এই গদ্যই অনুকৰণযোগ্য নহয়। এই গদ্য ষাইকৈ আধুনিক, মিশ্ৰিত নাগৰিক জীৱনৰ মনস্তত্বৰ লগত জড়িত। বাকী কেইজনৰ গদ্য অসমীয়া প্ৰাণ-প্ৰবাহৰ লগত সম্পৰ্কিত।

মানুহৰ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে স্থান আৰু কালৰ দূৰত্বও মানুহৰ বাবে নাইকিয়া হৈ আহিছে। এতেকে কোনো জীৱন্ত ভাষাই স্থিৰ হৈ থাকিব নোৱাৰে আৰু সম্পূৰ্ণ বন্ধনমুক্ত হৈয়ো থাকিব নোৱাৰে। নতুন শব্দ, নতুন প্ৰকাশভংগী ভাষালৈ সোমাই আহিবই। তাকে ব্যৱহাৰ কৰোঁতে অসমীয়া ভাষাৰ জতুৱা ঠাঁচৰ লগত বজিতা খোৱাকৈ ব্যৱহাৰ কৰিব লাগিব।

অনেকে কেতিয়াবা শংকা প্ৰকাশ কৰে অসমীয়া ভাষা ক্ৰমাৎ ব্যৱহাৰৰ পৰা আঁতৰি যাবগৈ নে কি? নাইবা ই কেবল এটা ঘৰুৱা ভাষাত গৈ পৰিণত হ'ব? মই বিশ্বাস কৰোঁ যে মাজে-সময়ে ভাষাটো বিভিন্ন সমস্যাৰ সম্মুখীন হ'লেও, এনে ভয়ৰ কাৰণ নাই। কাৰণ, অসমীয়া ভাষা, ভাষা হিচাপে যথেষ্ট সমৃদ্ধিশালী ভাষা, আৰু এই ভাষা কোনো এটা বিশেষ সম্প্ৰদায়ৰ ভাষা নোহোৱাৰ বাবে উত্তৰ-পূৱ ভাৰতৰ সকলোৰে বাবে একমাত্ৰ উমৈহতীয়া ভাষা। দ্বিতীয়তে, এই ভাষাটোৰ লগত উত্তৰ পূৱ ভাৰতৰ লোক-মনটোৰ সম্পৰ্ক এনেভাবে সম্পৃক্ত হৈ আছে যে ইয়াৰ ঠাই ইংৰাজী বা হিন্দীয়ে ল'বহি বুলি ভাবিব নোৱাৰি। তৃতীয়তে, আমাৰ বিভিন্ন ভাষিক সামাজিক গোটৰ কোনো কোনো লোকে শংকা বা বিৰাগবশতঃ অসমীয়া ভাষাৰ প্ৰতি বন্ধুত্ব

অনুভৱ নকৰিলেও, তেওঁবিলাকৰ মনৰ শংকা দূৰ কৰিব পাৰিলে, তেনে অবশ্যসুলভ মনোভাব অন্তৰ্হিত যাব। তদুপৰি, সমগ্ৰ অঞ্চলটোৰ বিভিন্ন ভাষিক- সামাজিক গোটৰ মাজত মনৰ সাঁকো দিব পৰা ক্ষমতা কেৱল অসমীয়া ভাষাৰে আছে। ইংৰাজী শিক্ষাৰে শিক্ষিতসকলেও অন্তৰৰ অনুভূতি কিন্তু ইংৰাজীৰে প্ৰকাশ কৰিব নোৱাৰে; ভুলে-শুদ্ধই অসমীয়াৰেই কৰে। তেওঁবিলাকক শুদ্ধ বাটটো লগাই দিবই লাগিব। আমাৰ ভাষাৰ সুঁতিটোত সুমোৱা জাৱৰ-জোখবোৰ আঁতৰাই দিবই লাগিব। ইয়াকে কৰিব পাৰিলেই ব্ৰহ্মপুত্ৰৰ দৰে— ব্ৰহ্মপুত্ৰৰ দৰে অসমীয়া ভাষা বৈ আহিছে আৰু বৈ থাকিব।

আমি সময়োপযোগী ৰূপ দিয়াত ব্যৰ্থ হ'লেহে অসমীয়া ভাষাটো ব্যৱহাৰ অনুপযোগী হ'ব। আমাৰ বিশ্ববিদ্যালয়, সাহিত্য সভা— আমি সকলোৱে একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ভাৰ সহিব পৰাকৈ ভাষাটোৰ শক্তি বৃদ্ধি কৰিবলৈ আঁচনি ল'ব লাগিব। তেহে ভাষাটোৰ ব্যৱহাৰ উপযোগিতা থাকিব। সেয়ে নহলে, আমি আন কোনো সমৃদ্ধিশালী ভাষাৰ ওচৰ চাপিব লাগিব। আমি সময়ত এই প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ উপযুক্ত আঁচনি এতিয়াৰ পৰাই ল'ব লাগিব। তেহে সময়ত জ্যোতিপ্ৰসাদে কোৱাৰ দৰে ক'ব পাৰিম :

কামৰূপা মোৰ সুৱদী সুৰীয়া অসমীয়া ভাষা
জগতসভালে' যাব,
উজ্জ্বল-সুজ্জ্বল কহিনূৰ পিন্ধি
হাঁহি অপৰূপা হ'ব।

ভাষা হ'ল মন্দিৰ। সাহিত্য তাৰ ভিতৰৰ বিগ্ৰহ। মূল্যবান বিগ্ৰহ ৰাখিবলৈ আমাক সুদৃঢ় মন্দিৰ এটি লাগে।

এঘাৰ

অনেকে সাম্প্ৰতিক কালত আগতকৈ বেছিকৈ ইংৰাজী ভাষাৰ প্ৰতি প্ৰীতি সোমাই অহা দেখি স্বাভাৱিকভাৱেই অসমীয়া ভাষাৰ ভবিষ্যত ভাবি শংকা অনুভৱ কৰিছে। আমি শংকা অনুভৱ কৰি উদ্বিগ্ন হ'লেই নহ'ব; এনে হোৱাৰ কাৰণ বিশ্লেষণ কৰি সমাধানৰ প্ৰশস্ত পথ বিচাৰি উলিয়াব পাৰিবও লাগিব। কৰ্মক্ষেত্ৰত প্ৰতিযোগিতা বাঢ়ি অহাৰ লগে লগে, আৰু এনে প্ৰতিযোগিতাত ইংৰাজী ভাষাৰ প্ৰয়োজন জড়িত হৈ থকাৰ বাবে প্ৰত্যেক অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক প্ৰতিযোগিতাৰ বাবে উপযুক্ত কৰি তুলিবলৈ বিচৰাটো এক স্বাভাৱিক প্ৰতিক্ৰিয়া স্বৰূপেই বিচাৰ কৰিব লাগিব। ভাৰতত এতিয়া মুক্ত-অৰ্থনীতিৰ দুৱাৰ খুলি দিয়াৰ পিছত বহুৰাষ্ট্ৰীয় কোম্পানী আৰু অনা-আবাসিক ভাৰতীয়সকলে ভাৰতত ব্যৱসায়-বাণিজ্য মুকলি কৰাৰ পৰিপ্ৰেক্ষিতত্তো ইংৰাজীৰ গুৰুত্ব বাঢ়িছে। ভাৰতবৰ্ষত বৃটিছ-শাসনৰ সময়ৰ পৰা সৃষ্টি হোৱা ইংৰাজী ভাষা-প্ৰীতিৰ সূত্ৰডালি আছিলেই। ১৯৬১ চনত আফ্ৰিকাৰ উগাণ্ডাত আয়োজন কৰা ইংৰাজী শিক্ষণ-সম্পৰ্কীয় কমনৱেল্‌থ্ সম্মিলনত ন-কৈ ঔপনিবেশিক শাসনৰ পৰা মুক্ত হোৱাসকলে ইংৰাজী ভাষাৰ ওপৰত দিয়া গুৰুত্বৰ প্ৰভাৱো কমনৱেলথৰ দেশসমূহত আকৌ ন-কৈ পেলোৱাৰ এক অপ্ৰত্যক্ষ যত্নও, ইংৰাজী-প্ৰীতি বাঢ়ি অহা কাৰণ হ'ব পাৰে।

উল্লিখিত কাৰণবোৰ থাককেই বা নাথাককেই ইংৰাজী ভাষা আমাৰ বাবে জ্ঞান লাভৰ আৰু ৰসোপভোগৰ মাধ্যম হৈ আছে। এতেকে ইংৰাজী ভাষা বিতাৰণৰ যিমানেই যত্ন হওক, ইংৰাজী আমাৰ বাবে এই মুহূর্ত্তলৈ দৰকাৰী ভাষা হৈ আছে। এই পৰিপ্ৰেক্ষিতত আমাৰ ল'ৰা-ছোৱালীক এই ভাষাটো শিকোৱাটো প্ৰয়োজনীয় হৈ আছে। কিন্তু তাৰ বাবে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰয়োজন আছেনে? মুঠেই নাই— এয়ে মোৰ বক্তব্য। কাৰণ, ছাত্ৰ-ছাত্ৰীক বিষয় শিকোৱাৰ শ্ৰেষ্ঠ মাধ্যম হ'ল মাতৃভাষা। আমি ল'ৰা ছোৱালীক বিষয়ত পাৰদৰ্শী কৰিব খোজোঁ আৰু ইংৰাজী ভাষাতো দক্ষতা অৰ্জন কৰাটো বিচাৰোঁ। কিন্তু আমাৰ গাওঁ আৰু চাহ বাগিচাকে ধৰি উদ্যোগ মাজৰ পৰা ওলাই অহা ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাই কেবাপ্ৰকাৰেও ক্ষতিসাধন কৰিছোঁ : এক, সিহঁতক জীৱনৰ পৃষ্ঠভূমিৰ পৰা আঁতৰাই আনিছোঁ; দুই, সিহঁতক বিষয় শিকোৱাৰ পৰিবৰ্তে ভাষা শিকোৱাত দিয়া গুৰুত্বৰে সিহঁতক ভাটৌৰ-শিক্ষা লবলৈ বাধ্য কৰিছোঁ। তিনি, সিহঁতৰ সৃষ্টি প্ৰতিভা আৰু কল্পনা প্ৰতিভা খৰ্ব কৰিছোঁ। আমি মন কৰা নাই যে এনে শিক্ষাৰে, আমাৰ সামাজিক জীৱনৰ পৃষ্ঠভূমিৰ পৰা উলিয়াই পঠোৱা লৰা ছোৱালী কোনো কোম্পানী বা প্ৰতিষ্ঠানৰ বিষয়া হবগৈ পাৰিলেও জাতীয় জীৱনৰ কোনো ক্ষেত্ৰলৈকে কোনো ফলপ্ৰসূ দিশৰ পৰাৰ আশা তেওঁবিলাকৰ পৰা আমি কৰিব নোৱাৰোঁ। সেয়ে ,আমি দুটা বিষয়ৰ প্ৰতি চকু দি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব । প্ৰথম কাম হ'ব- আমি ইংৰাজী সাহিত্য শিকোৱাৰ পৰিবৰ্তে ইংৰাজী ভাষা শিকোৱাৰ বিজ্ঞানসম্মত পদ্ধতি আমাৰ বিদ্যালয়

সমূহত প্ৰৱৰ্তন কৰিব লাগিব আৰু বৰ্তমান ইংৰাজী শিকোৱাৰ বাবে নিযুক্তি শিক্ষক-শিক্ষয়িত্ৰী সকলক সেই উদ্দেশ্যে প্ৰশিক্ষিত কৰি ল'ব লাগিব; দ্বিতীয়টি বিষয় হ'ল আমাৰ মাতৃভাষাৰ মাধ্যমৰ প্ৰাথমিক বিদ্যালয়ত অতি দ্ৰুতগতিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যোৱাৰ চায় আৰু সামাজিক মনস্তত্ত্বৰ প্ৰতি লক্ষ্য ৰাখি, আমাৰ প্ৰাথমিক বিদ্যালয়সমূহৰ ওপৰ শ্ৰেণীত ইংৰাজী প্ৰাথমিক পৰিচয় দিয়াৰ ব্যৱস্থা কৰিব লগীয়া হ'ব পাৰে। তৃতীয়তে, যিবিলাকে ব্যৱসায় হিচাপে এতিয়া ইংৰাজী মাধ্যমৰ বিদ্যালয় চলাইছে, তেওঁবিলাককো এই সামাজিক তথা বিদ্যায়তনিক তথা জাতিয় দায়িত্বসম্পৰ্কে সজাগ কৰি তুলি ইংৰাজী এটা বিষয় হিচাপে শিকোৱাৰ আৰু অসমীয়াক মাধ্যম হিচাপে লোৱাৰ ব্যৱস্থা কৰিবলৈ প্ৰস্তুত কৰিব লাগিব। আমাৰ ৰাজ্য চৰকাৰেও আমাৰ শিক্ষা নীতি সময়ৰ আহ্বানৰ প্ৰতি চকু ৰাখি সংশোধন কৰি ল'ব নোৱাৰিলে চৰকাৰে পংগু জাতি এটা সৃষ্টি কৰাৰ অপৰাধ মূৰ পাতি লব লাগিব। প্ৰসংগক্ৰমে চৰকাৰী বিভাগে প্ৰকাশ কৰা অসমীয়া পাঠ্যপুথিত থকা তথ্য আৰু ভাষাৰ ভুল দূৰ কৰাৰ বাবে কাৰ্য্যক্ষম ব্যৱস্থা গ্ৰহণ কৰিবলৈও চৰকাৰক দাবি জনাওঁ । ভুল তথ্য আৰু ভুল ভাষা শিকোৱাৰ অধিকাৰ চৰকাৰৰ বা আন কাৰোৰে নাই । যি বিলাক লোকৰ অৱহেলা, অমনোযোগিতা আৰু কৰ্তব্য আৰু দায়িত্বৰ প্ৰতি থাকিব লগীয়া নিষ্ঠাৰ অভাৱৰ কাৰণে এনে মাৰাত্মক অপৰাধ সংঘটিত হৈ আছে, তেনেলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ দাবী জনাওঁ।

বাৰ

অসম সাহিত্য সভাই সকলো কাম কৰা সম্ভৱ নহয়। কিন্তু, এই অনুষ্ঠানে যদি ৰাজনৈতিক দলত ভিৰ কৰাৰ দৰে পদমৰ্যদা বিচৰা মানুহৰ অবাঞ্ছিত ভিৰ প্ৰতিৰোধ কৰি, যথাৰ্থতে ভাষা, সাহিত্য, তথা মানৱতাৰ মংগল সাধনাৰ প্ৰতি দায়বদ্ধ লেখকসকলৰ সহজ প্ৰৱেশ আৰু অধিকাৰ নিশ্চিত কৰিব পাৰে, তেনেহলে মই আশা কৰো সাহিত্য সভাই এটা নতুন মাত্ৰা পাব আৰু আৱশ্যকীয় সংশোধন প্ৰয়োজন অনুসৰি কৰি ল'ব পৰা হ'ব।

সাহিত্য সভাই অসমৰ সাংস্কৃতিক-বিবেকৰ দৰে কাম কৰি যাবৰ বাবে প্ৰয়োজনীয় সহায় আৰু সহযোগিতা ৰজাঘৰ আৰু প্ৰজাঘৰে দান কৰক। কেন্দ্ৰীয় অসম-তত্ত্ব-সংস্থান আৰু জনজাতীয় গৱেষণা-কেন্দ্ৰ গঢ়ি তুলিবৰ বাবে সহায় কৰক, সভা স্বাৱলম্বী হ'ব পৰাকৈ জাতীয় ন্যাস গঠনৰ বাবে বৰঙণি যোগাওক, সভাই গ্ৰহণ কৰা সৎ-ব্ৰৰ আঁচনি কাৰ্যকৰী কৰিব পৰাকৈ ধনবলৰ যোগান ধৰক। কোনো প্ৰকাৰৰ সহায়-সহযোগিতা আগনবঢ়োৱা সকলে যেতিয়া 'সভাই একো নকৰে' বুলি আৰু 'সভাৰ বাৰ্ষিক অধিৱেশনত সভাই অবাৱত অপচয় কৰে' বুলি সমালোচনা কৰে, সেই সমালোচনা শুনিবলৈ সভা ৰাজি হয় কেনেকৈ? মই নিজেও সভাৰ অধিৱেশনৰ ব্যয় যিমান পাৰি সংকোচন কৰিব লাগে বুলি কৈ আহিছোঁ; কিন্তু এই সময়ত চৰকাৰী ভাৱে এশ পইচাৰ মূল্য ছয় পইচালৈ নমা বুলি স্বীকাৰ কৰিছে; বাস্তৱত সি তাতোকৈ কম; সেই কথাটোও মনত ৰাখিব লাগিব। দ্বিতীয়তে, দেৱালীৰ সময়ত কিমান কোটি টকা উৎসৱৰ নামত ব্যয় কৰা হয় আমি খৰৰ ৰাখিছোনে? খৰৰ ৰাখিছোনে অসমত প্ৰতি বছৰে কিমান কোটি টকা ধূমপানত ব্যয় হয়? আমি খৰৰ ৰাখিছোনে— অসমত প্ৰতি বছৰে কিমান কোটি টকাৰ সুৰা বিক্ৰী হয়? আমি যেতিয়া ঘৰত উৎসৱ বা অনুষ্ঠানৰ আয়োজন কৰোঁ আমাৰ জীৱনৰ স্বাভাৱিক ব্যয়তকৈ কিমান বেছি গুণ ব্যয় কৰো আমি তাৰ খতিয়ান লৈছোনে? কিন্তু, সাহিত্য সভাৰ বাৰ্ষিক উৎসৱত হোৱা ব্যয় আমি অসন্তোষ প্ৰকাশ কৰোঁ কঠোৰ সমালোচনা কৰো। যিসকেল সভাক আৰ্থিকভাৱে সহায় নকৰে, সেই সকলৰ সমালোচনা সূৰেই হয় অধিক চোকা। ব্যয় নিশ্চয় হ'ব; সভাই চকু ৰাখিব যাতে অপব্যয় নহয়; চকু ৰাখিব যাতে সভাৰ নামত ধন তুলি কোনো দুষ্ট লোকে আত্মসাৎ কৰিব নোৱাৰে। মই সভাৰ সমালোচক সকলকে ধৰি, জাতি-বৰ্ণ-ধৰ্ম-নিৰ্বিশেষে সদৌটিকে অনুৰোধ জনাওঁ অসম সাহিত্য সভাৰ মূল পুঁজিলৈ আপোনালোক সকলৰ বছৰটোৰ তিনিশ পয়ষষ্ঠি দিনৰ ভিতৰত এদিনৰ উপাৰ্জনৰ এক দশমাংশ দান কৰক, আৰু সেই ধনেৰে সভাই কি কৰিলে পিছৰ বছৰত সভাৰ পৰা কৈফিয়ৎ বিচাৰক। সভা কৈফিয়ৎ দিবলৈ সাজু থাকিব।

আমাৰ অসমৰ সামাজিক জীৱনৰ বহুতত্ত্ববাদী চৰিত্ৰৰ ধাৰণা বিয়পাই দিবৰ বাবে সভাই গ্ৰহণ কৰা আঁচনি, অসমৰ বিভিন্ন সামাজিক, ভাষিক আৰু ধৰ্মীয় গোটৰ লোকসকলৰ মনৰ মাজৰ শংকা আৰু সন্দেহ দূৰ কৰি এক সাংস্কৃতিক সম্পৰ্কৰ সূত্ৰ কৰি তুলিবলৈ কাৰণে গ্ৰহণ কৰা আঁচনি, বিভিন্ন ভাষিক গোটসমূহৰ ভাষিক স্বাৰ্থ সংৰক্ষণৰ বাবে গ্ৰহণ কৰা আঁচনি, অসমৰ বিভিন্ন ভাষাৰ সাহিত্যিক সকলৰ উমৈহতীয়া মঞ্চ গঠন কৰা আঁচনিকে ধৰি বিভিন্ন আচনি ৰূপায়ণৰ বাবে লগা ধন ৰজা ঘৰ প্ৰজা ঘৰেই সভাক যোগান ধৰিব লাগিব।

অসমত থকা সকলো ব্যক্তিগত খণ্ডৰ আৰু ৰাজহুৱা খণ্ডৰো উদ্যোগ আৰু প্ৰতিষ্ঠান সমূহকো আমাৰ আঁচনি ৰূপায়নৰ

ক্ষেত্রত অর্থ বল যোগান ধৰিবলৈ মই ৰাজহুৱা ভাৱে আহ্বান জনাওঁ। আপোনালোকে নিজে আগবাঢ়ি আহক আৰু ৰাজ্যখনৰ এই সংকটৰ সময়ত সাহিত্য সভাই অসমৰ ভাষা-ধৰ্ম-সম্প্ৰদায়-নিৰ্বিশেষে জনসাধাৰণৰ সামাজিক আৰু সাংস্কৃতিক মংগলৰ বাবে গ্ৰহণ কৰা আঁচনিৰ ৰূপায়ণৰ বাবে প্ৰয়োজনীয় ন্যূনতম অৰ্থ-সাহায্য আন্তৰিকতাৰে আগবঢ়াওক। অসমক কেৱল উপাৰ্জনৰ থলী বুলি নধৰি নিজৰ ৰাজ্য বুলি মনে প্ৰাণে গ্ৰহণ কৰক আৰু এই ৰাজ্যখনৰ মংগলৰ প্ৰতি দায়বদ্ধ হওক।

অসমৰ ভাষা-ধৰ্ম-সম্প্ৰদায়-নিৰ্বিশেষে সকলো সামাজিক গোটৰ লোকৰ প্ৰতি আন্তৰিক আহ্বান এইয়ে যে এই দেশ আৰু দেশৰ মানুহক অন্তৰৰো অন্তৰৰ পৰা আপোন বুলি ভাবি হৃদয় তলিৰ পৰা সমস্বৰে গাওঁ আহক "অ' মোৰ আপোনাৰ দেশ" বুলি; আহক আমি দীপ্ত কণ্ঠে উচ্চাৰণ কৰো "মোৰ দেশ মানুহৰ দেশ" বুলি। অসমৰ ন-পুৰণি প্ৰতিগৰাকী শিল্পী, প্ৰতিগৰাকী লেখকৰ ৰচনাই যেন ঘোষণা কৰক ঃ

মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত।
মোৰ মাজতেই গূঢ় ৰহস্যৰ
সত্য হওক প্ৰতিভাত।।

সংবলন ঋষিৰ কণ্ঠইদি উচ্চাৰিত ঋগ্বেদৰ অন্তিম সূক্তটিৰ উচ্চাৰণ কৰি ক'ৰৰ মন গৈছে।

সং গচ্ছধ্বং সং বদধ্বং সং বো মনাংসি জানতাম্।

অৰ্থাৎ "তোমালোক সকলো মিলিত হোৱা, সমস্বৰে স্বৰ উচ্চাৰণ কৰা, তোমালোকৰ মন পৰস্পৰ এক মত হওক।" ক'ৰৰ মন গৈছে,

সমানো মন্ত্ৰঃ সমিতিঃ সমানী সমানং মনঃ সহ চিত্তমেষাম্।
সমানং মন্ত্ৰমভি মন্ত্ৰয়ে বঃ সমানেন বো হবিষা জুহোমি।।
সমানী ব আকূতিঃ সমানা হৃদয়ানি বঃ।
সমানমস্তু বো মনো যথা বঃ সুসহাসতি।।

অৰ্থাৎ," এই সকলো যজ্ঞ কৰোঁতা পুৰোহিতসকলৰ মন্ত্ৰোচ্চাৰণ এক প্ৰকাৰ হওক, এওঁবিলাকৰ মন, চিত্ত সকলো একপ্ৰকাৰ হওক। হে পুৰোহিতসকল, তোমালোকক একে মন্ত্ৰেৰে দীক্ষিত কৰিছোঁ। তোমালোক সকলোৱে সৈতে যজ্ঞ কৰিছোঁ। তোমালোকৰ অভিপ্ৰায় এক হওক, অন্তঃকৰণ এক হওক, মন এক হওক। তোমালোক যেন সৰ্বাংশে সম্পূৰ্ণৰূপে একমত হোৱা।" এই প্ৰাৰ্থনা, এই বাঞ্ছাৰে আপোনাসকলক প্ৰণিপাত জনাওঁ।

-- * --

চতুষষ্ঠিতম অধিৱেশন

হাওৱাঘাটঃ ২৪ মার্চ ১৯৯৮ খ্রীঃ

ড° নগেন শইকীয়া

অসম সাহিত্য সভাৰ, মাননীয় উপ-সভাপতি প্রমুখ্যে কার্যনির্বাহক সমিতিৰ সদস্যসকল আৰু প্রতিনিধিবর্গ, অভ্যর্থনা-সমিতিৰ মাননীয় সভাপতি প্রমুখ্যে সদস্যসকল, হাওৱাঘাটৰ বর্ণাঢ্য সমাজ জীৱনৰ অতিথিবৎসল ৱাইজ, এই অধিৱেশনৰ সম্মানীয় উদ্বোধক, বিশিষ্ট প্রথিতযশা লেখক ড° চি. নাৰায়ণ ৰেড্ডী ডাঙৰীয়া, অসম সাহিত্য সভাৰ সম্মানিত প্রাক্তন সভাপতিসকল-প্রমুখ্যে অসমৰ ভাষা-সাহিত্য নিজৰ ৰচনাৰে সমৃদ্ধ কৰি তোলা মাননীয় বিশিষ্ট লেখক-লেখিকাসকল, আৰু সেৱাৰ থলী নৱনাৰায়ণ ৰূপী ৱাইজ, কিৰাত আক্রাম'ত সমৱেত আপোনাসকলৰ এই ৰূপ দেখি মোৰ ক'ৰৰ মন গৈছে,

"চিৰ সুন্দৰে ধৰিব খুজিছে
বিশ্বজনতা ৰূপ।
নবীন গন্ধে নবীন বর্ণে
জন-জীৱনৰ মন্ত্র জাগিছে
তন্ত্র জাগিছে
আকাশে আকাশে বিয়পি পৰিছে
নৱ-জীৱনৰ ধূপ।"

হে প্রবুদ্ধ জনতা, তোমাক প্রণিপাত—

আন্তৰিক 'কার্দম'। শ্রীমন্ত শংকৰদেৱে 'দিব্য উপৱন'ৰ বর্ণনা দি কৈছিল—

"শিৰীষ সেউতী তমাল মালতী লৱংগ বাঙী গুলাল
কৰবীৰ বক কাঞ্চন চম্পক ফুলে ভৰি ভাঙে ডাল।।"

অসমৰ জন জীৱনৰ বর্ণাঢ্য ৰূপটো যেন এই দিব্য উপৱনৰেই ৰূপ। সেই ৰূপ আজি প্রত্যক্ষ কৰি ধন্য হ'লোঁ— অসমৰ মাজ বুকুৰ কাৰ্বি আংলঙৰ 'হাওৱাঘাট'ত। পার্বতীপ্রসাদক ধাৰ কৰি ক'ৰৰ মন গৈছে "মোৰ জীৱন সাম্ফল হ'ল"।

ত্রিষষ্টিতম বিলাসীপাৰা-অধিৱেশনত, জনতাক মই জ্যোতিৰ ভাষাৰেই সকলো দিশৰপৰা নমস্কাৰ কৰিছিলো। আজিও মই সকলো দিশৰ পৰা নমস্কাৰ জনাওঁ। নিয়মতান্ত্রিকতাৰ উপৰিও যিসকল শুভার্থীৰ ঐকান্তিক আগ্রহৰ বাবে চতুষষ্টিতম অধিৱেশনৰ সভাপতি পদৰ বাবে মই সম্মতি দি অনেক ৰ বিৰাগভাজনো হ'লোঁ, মোৰ শুভার্থীতকৈও মই মোৰ সেই সমালোচকসকলকহে জ্যোতিৰ ভাষাৰেই কওঁ,—

"হে মোৰ সকলো শত্রু
তোক নমস্কাৰ
তোক বন্ধু ৰূপেহে চাওঁ।"

মই বন্ধুৰূপে চাব খুজিলেও মোৰ স্থিতিয়ে যিসকলক কি বা নহয় কিবা প্রকাৰে অসন্তুষ্ট কৰাৰ সম্ভাৱনা আছে, তেখেতসকলে মোক বন্ধু ৰূপে গ্রহণ কৰাৰ সম্ভাৱনা কম বুলিয়েই ভাব হৈছে। সংখ্যাত মুষ্টিমেয় হ'লেও প্রচাৰ-মাধ্যমৰ সহায়ত তেওঁবিলাকে

মোক আক্রমণ কৰিবলৈ গৈ প্রচুৰ ভাৱে সভাৰ ক্ষতি সাধন কৰিছে। এই সকলক মই সভাৰ বন্ধু বুলি কেনেকৈ গণ্য কৰোঁ আৰু তেওঁবিলাকৰ এনে সংকীর্ণ ভাৱ আৰু কাম সভাৰ তথা অসমৰ জাতীয় জীৱনৰ বৃহত্তৰ স্বাৰ্থৰ অনুকূলে যোৱা বুলি কেনেকৈ ভাবোঁ?

মই দেখিছো যোৱা বছৰটোত ডিগবৈৰপৰা ধুবুৰীলৈকে আৰু লক্ষীমপুৰৰপৰা কোকৰাঝাৰলৈকে যিমান অনুষ্ঠান সম্পাদিত হ'ল, এই সকলোতে অসমৰ বিভিন্ন ভাষা, ধর্ম সম্প্রদায়ৰ জনসাধাৰণৰ আকুণ্ঠ সম্মান আৰু সহযোগিতা সভাই লাভ কৰিছে আৰু যথার্থতেই সভাৰ মর্যদা ঘুৰি আহিছে।

আমি মনত ৰাখিব লাগিব জাতীয় ভাষা-সাহিত্য-সংস্কৃতিৰ সর্বাংগীণ বিকাশৰ বাবে কাম কৰিবলৈ প্রতিশ্রুতিবদ্ধ হৈয়েই অসম সাহিত্য সভাই জন্ম লাভ কৰিছিল। এতিয়াও সভা প্রতিশ্রুত লক্ষ্যত উপনীত হ'বলৈ বহু দূৰ আছে। অৱশ্যেই লক্ষ্য প্রাপ্তিৰ যত্ন এক অবিৰত গতিশীল যত্ন। তদুপৰি এই বিশ্বমুখী সভ্যতাৰ যুগত কেনেকৈ নিজৰ ঐতিহ্যৰ বিশিষ্টতাৰ ধাৰাবাহিকতা ৰক্ষা কৰিও আধুনিক সভ্যতা আৰু সাংস্কৃতিৰ উপাদানেৰে আমাৰ সাংস্কৃতিক জীৱন আৰু মন সমৃদ্ধ কৰিব পাৰি তাৰ বাবেও সাহিত্য সভাই কর্মসূচী ল'ব লাগিব। কিন্তু মই স্পষ্ট ভাষাৰে ক'ব খোজোঁ শিল্প-সাহিত্য-সংস্কৃতিৰ বিচাৰ আৰু গতিপথ নির্ণয়ৰ দৰে কামবোৰ তথাকথিত গণতান্ত্রিক পদ্ধতিৰে কৰিব খোজাসকল এনে কামৰ লগত যুক্ত হ'বৰ বাবে উপযুক্ত লোক নহয়। এনে কামৰ বাবে সাহিত্যাচার্য শ্রীযজ্ঞেশ্বৰ শর্মাদেৱে ক'বৰ দৰে "গণতন্ত্র নহয়, প্রতিভা তন্ত্রৰহে প্রয়োজন"। সাহিত্য সভাক ৰাজনৈতিক দলৰ দৰে গণতান্ত্রিক কৰিবলৈ গ'লে যে সভাৰ প্রকৃত চৰিত্র আৰু লক্ষ্যই নষ্ট হ'ব তাৰ কিছু বিপদজনক লক্ষণ ইতিমধ্যে ফুটি উঠিছে আৰু কোনো কোনো লোকে পদবীৰ বাবে কৰা আকাংক্ষা, সভাৰ ভাবমূর্তি আৰু মর্যাদা হানি কৰিব পৰা কর্মলৈ ঠায়ে ঠায়ে ৰূপান্তৰিত হৈছে। আমি এনে লোকক, ইংৰাজীত ক'বৰ দৰে 'To cut them in to their own size', অর্থাৎ, তেওঁবিলাকৰ নিজৰ প্রকৃত জোখত ৰাখিব লাগিব। নহ'লে সাহিত্য সভা সাহিত্যৰ সভা হৈ নেথাকিব, মই বিলাসীপাৰা অধিবেশনত ক'বৰ দৰেই "ডেনমার্কৰ ৰজা নথকা হেমলেট" নাটকলৈ ৰূপান্তৰিত হ'ব। আকাংক্ষা দোষৰ কাৰণ নহয় যদি সি কাৰো ক্ষতি নকৰে।

ইতিমধ্যে জিলা সভাসমূহৰো কোনো কোনো খনত সাহিত্য আৰু সাহিত্য সভাৰ প্রকৃত মর্ম নুবুজা কিন্তু পদবীৰ দুৰাকাংক্ষা ৰকাসকলৰ ভিৰ হোৱাৰ উপক্রম ঘটিছে আৰু আনকি অসম অসম সাহিত্য সভাৰ সভাপতিৰ গা-লৈ ফর্মুটিয়াবলৈ যত্ন কৰাও দেখা গৈছে। এনে লোকক ততালিকে সভাৰ দায়িত্বৰপৰা অব্যাহতি দিয়াৰ অধিকাৰ আপোনাসকলে আমাক দিব লাগিব; তেহে সভাৰ মর্যাদা ৰ'ব। ব্যক্তিগত ক্ষুদ্র স্বাৰ্থৰ বাবে সভা আৰু জাতীয় জীৱনৰ বৃহত্তৰ স্বাৰ্থ হানি কৰা সকলক সভা আৰু জাতীয় জীৱনৰ বন্ধু বুলিতো মই নাভাবোৱেই, ৰৰং শত্রু বুলি ভাবোঁ। কোনোবা লোকৰ পত্নীৰ নাম সভাৰ কোনো উপ-সমিতিত নোসোমোৱাৰ বাবে কোনোবা লোকৰ টকা-পইচাৰ অন্যায় লেন-দেনৰ বিষয় পুনৰ অনুসন্ধানৰ বিষয় যাতে নহয় তাক বাধা দিয়াৰ নিমিত্তে আৰু নিজৰ বিষয়ে বিচাৰ নকৰাকৈ পদবীৰ আকাংক্ষাক অগ্রাধিকাৰ দিয়াৰ বাবে নামে-বেনামে সভাৰ বিৰুদ্ধে প্রবন্ধ আৰু চিঠি-পত্র লিখি আৰু বাতৰি লিখোৱাই সভাৰ ভাবমূর্তি নষ্ট কৰা সকলক সভাৰ মই বন্ধু বুলি কেনেকৈ বিবেচনা কৰোঁ? সৎ উদ্দেশ্যৰে কৰা গঠনমূলক সমালোচনা কঠোৰ হ'লেও গ্রহণযোগ্য, কিন্তু চৰিত্রহননৰ অসৎ উদ্দেশ্য আৰু ধ্বংসাত্মক মনোভাবেৰে কৰা সমালোচনা গ্রহণ কৰিবলৈ মই ৰাজী নহওঁ। এনে লোক যিমান সোনকালে সভাৰপৰা আঁতৰি যায় সিমানেই সভাৰ বাবে মংগল; নতুবা তেনেলোকৰ বাবে সভাৰ প্রবেশ দুৱাৰ বন্ধ কৰিব লাগিব। যথার্থ পণ্ডিত আৰু যথার্থ সৃষ্টিশীল লেখকৰ অহংকাৰ মই সহ্য কৰিব পাৰোঁ; কিন্তু কম পানীত ছট্‌ফটাই থকা সকলৰ অহংকাৰ সহ্য কৰিবলৈ মই সাজু নহওঁ। তাৰ বাবে মোক যদি ককর্থনাও কৰে, কৰিব পাৰে, তাৰ বাবে যদি কিবা হেঁকুৰাব লাগে তাৰ বাবেও মই সাজু।

এই প্রসংগত মই আমাৰ সাংবাদিক বন্ধুসকলকো অনুৰোধ কৰিব খোজোঁ যেন প্রকৃত সত্য বিচাৰ নকৰাকৈ অর্ধসত্য বা অসত্যৰ ভিত্তিত সভাৰ বিৰুদ্ধে কোনোবা অপশক্তিয়ে যোগান ধৰা 'গল্প' প্রকাশকৰি এই জাতীয় অনুষ্ঠানটিৰ ক্ষতি সাধন নকৰে। সভাই বহন কৰি আহা মানবীয় আৰু জাতীয় সাংস্কৃতিক মূল্যবোধৰ পতাকাখনৰ যদি আমি ক্ষতিসাধন কৰোঁ, ভবিষ্যতৰ ইতিহাসে আমাক কাকো ক্ষমা নকৰিব। লেখক সাংবাদিকৰ কাপটো মানুহৰ মংগলৰ নিমিত্তে আৰু অপশক্তিৰ বিৰুদ্ধে ব্যৱহাৰ কৰাৰ পৰিবর্তে যদি কোনো ব্যক্তি, গোট বা দলৰ খণ্ডেকীয়া স্বাৰ্থ সিদ্ধিৰ বাবে, আন কোনো ব্যক্তিৰ বা সভাৰ দৰে জাতীয়

সাংস্কৃতিক অনুষ্ঠানৰ চৰিত্রহননৰ কাৰ্যত ব্যৱহৃত হয়, তেনেহ'লে আমাৰ সেই পৱিত্ৰ 'কাপ'টোকে আমি অসম্মান কৰা নহ'বনে? মনত ৰাখিব লাগিব চৰিত্রহননৰ দৱে বা ঘৃণা প্রকাশৰ দৱে কাৰ্যও 'হিংসাৰ' এটা ৰূপৰ বাহিৰে আন একো নহয়। এই কথাও সমানেই স্মৰণযোগ্য যে আমাৰ সমাজ জীৱনত যি হিংসাৰ পৰিৱেশ গঢ়ি উঠিছে, তাত এনে ধৰণৰ লেখাই প্রভূত ৰৱঙণি যোগাইছে। আমাৰ চেমনীয়া ল'ৰা-ছোৱালী বা ডেকা-গাভৰুৰ মনত এই লেখাবোৰৰ যোগেদি আমি অবিৰাম ঘৃণাৰ ভাৱ সুমাই দিছোঁ। সেই ল'ৰা-ছোৱালীয়ে যেতিয়া হাতত মাৰণাস্ত্র ল'ব, তাৰ নৈতিক দায়িত্বৰপৰা আমি হাত সাৰিব পাৰিবনে?

দুই

মানুহৰ ভিতৰৰ দানৱীয় শক্তিৰ আস্থা হেৰুৱাসকলেই মানুহৰ ভিতৰৰ দানৱীয় শক্তিক জগাই তোলে। এই দানৱীয় শক্তিয়ে প্রতিপক্ষকে হত্যা নকৰে মানুহৰ ভিতৰৰ মানুহটোকো হত্যা কৰে। নিজৰ ভিতৰৰ মানুহটোক প্রথমে হত্যা নকৰাকৈ কোনেও আন এজন মানুহক হত্যা কৰিব নোৱাৰে। দানৱীয় শক্তিক চিনাক্ত কৰি সেই শক্তিক পৰাজয় কৰিবৰ বাবে মানৱীয় শক্তিক জগাই তোলাৰ দায়িত্ব লেখক-সাংবাদিক, শিল্পী, বুদ্ধিজীৱীসকলেই গ্রহণ কৰিব লাগিব। এই সামাজিক দায়িত্ব পালনৰ বাবে সময়ে জনোৱা আহ্বান আমি কেনেকৈ গ্রহণ কৰোঁ, তাৰ ওপৰত আমাৰ ভৱিষ্যৎ বহু পৰিমাণে নির্ভৰশীল।

আমাৰ কোনো লেখক আৰু সাংবাদিকে সমালোচনা কৰিবলৈ গৈ ব্যৱহাৰ কৰা আক্রমণাত্মক ভাষাই ভাষা আৰু মন দুয়োটাৰে সুৰুচি নষ্ট কৰিছে। মনৰ সুৰুচি নষ্ট হ'লে ভাষাই সুৰুচি হেৰুৱাবই। নিজৰ ৰুচি নেহেৰুৱাকৈ আৰু পাঠকৰো ৰুচি নষ্ট নকৰাকৈ অতি কঠোৰভাৱে সমালোচনা কৰিব পৰা শব্দ-শক্তিৰ সাধনা কৰাৰ পৰিৱর্তে যদি নিম্ন স্তৰৰ ভৎসনাৰ সাধনা কৰা হয়, তাৰ ফল বেয়া হ'বলৈ বাধ্য। আমাৰ ভাষাৰ এনে শক্তি নাই নে যে মানুহক বিবস্ত্র নকৰাকৈও আমি নগ্নতাৰ নির্মম সত্য মানুহৰ অন্তৰত সাঁচ বহি যোৱাকৈ প্রকাশ কৰিব নোৱাৰোঁ? মানুহৰ শৰীৰৰ গোপন ঠাইত হোৱা বেমাৰৰ কথা বুজাবৰ বাবে চিকিৎসালয়ত বা গৱেষণাগাৰত লোৱা পদ্ধতি আমি পাঠকসকলৰ বাবে ব্যৱহাৰ কৰিমনে? শৌচাগাৰ বা স্নানাগাৰলৈ যোৱা মানুহ এজনৰ সেই স্থানৰ কৃতকর্মৰ পুংখানুপুংখ বিৱৰণ দিলেহে আমি সেই স্থানলৈ যোৱাৰ উদ্দেশ্যৰ কথা বুজি পামনে?

অসমত যোৱা দুটা দশকত বাঢ়ি অহা সংবাদ-পত্রৰ সংখ্যালৈ চকু দিলেই এই মাধ্যমে আমাৰ সমাজ জীৱনত পেলোৱা প্রভাৱ আৰু তাৰ ফলাফলো চকুত নপৰাকৈ নাথাকে। যোৱা দুটা দশকত আমাৰ ৰাজ্যখনত ঘটা ৰাজনৈতিক উত্থান-পতনৰ ক্ষেত্রত সংবাদ পত্রসমূহে অত্যন্ত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। তদুপৰি যোৱা দুটা দশকত অসমত সংবাদ-পত্রত পটুৱৰ সংখ্যাও বৃদ্ধি পাইছে। এনে এক পটভূমিত অসমৰ সংবাদ পত্রসমূহৰ দায়িত্বও বহুগুণে বাঢ়িছে। মই আশা কৰোঁ আমাৰ সংবাদসেৱীসকলে আৰু সংবাদ-প্রতিষ্ঠানসমূহে এই সামাজিক দায়িত্বৰ প্রতি সততে চকু ৰাখিব।

সাংবাদিক এজনো প্রাথমিকভাৱেই এজন লেখক। সমাজে লেখক তথা সাংবাদিকসকলক সমাজৰ বিবেক স্বৰূপে জ্ঞান কৰে। সাংবাদিকসকলকতো সমাজে সমাজৰ 'চকু' বুলিও ভাৱে আৰু গ্রহণ কৰে এজন আদর্শ মানুহ হিচাপেও। সেইবাবে এজন সাংবাদিক তেওঁ মফস্বলৰ সাংবাদিকেই হওক বা কাকতৰ সম্পাদকেই হওক, তেওঁক জনসাধাৰণে বিচাৰে মানুহ, সমাজ আৰু সত্যৰ প্রতি দায়বদ্ধ, সত্য প্রকাশত নিৰপেক্ষ, সততাক নিজৰ ব্যক্তিগত জীৱনতো সর্বোচ্চ স্থান দিওঁতা, স্পষ্টবাদী, নির্ভীক কিন্তু সুৰুচিবান ৰূপত চাবলৈ আৰু পাবলৈ। সেইবাবেইতো জনসাধাৰণে বাঞ্ছা কৰে, সাংবাদিকসকলে তথা সংবাদ পত্রই এহাতে দেশ আৰু মানুহৰ ক্ষতিসাধন কৰিব পৰা, মানুহৰ সামাজিক-সাংস্কৃতিক-নৈতিক মূল্যবোধ নষ্ট কৰিব পৰা আৰু মানুহৰ সুৰুচি নষ্ট কৰিব পৰা অপশক্তিবোৰৰ সম্পর্কে জনসাধাৰণক সজাগ আৰু সতর্ক কৰি তুলিব, আৰু আনহাতে মানুহে কৰা সৱৰৰ 'ভাল' কামবোৰৰ প্রচাৰত গুৰুত্ব দি তেনে কামৰ প্রভাৱ যাতে সমাজ-জীৱনত পৰে তাৰ বাবে যত্ন কৰিব। মনত ৰাখিব লাগিব হিংসা, ঘৃণা তথা অপৰাধৰ বিস্তৃত খবৰ যিমানেই বেছিকৈ প্রচাৰ কৰিব, সমাজত তাৰ প্রভাৱো সিমানেই বেছিকৈ পৰিব।

মই ক'ৰ খোজা নাই যে অসৎ, নিষ্ঠুৰ, স্বার্থান্ধ মানুহে লোমহর্ষক ঘটনা ঘটাই সমাজত ৰীৱদর্পে ঘুৰি ফুৰিব অথচ সুৰুচিৰ দোহাই দি আমি তেনেলোকৰ অপৰাধৰ কথা ঢাকি ৰাখিম! মোৰ স্পষ্ট বক্তব্য এয়ে যে সাধাৰণ মানুহক মূঢ় বুলি ভাবি ল'ব নালাগে যে অসৎ লোকৰ অসৎ কর্মৰ কথা ক'বলৈ গৈ অসৎ বা অশালীন বাক্য বা শব্দ প্রয়োগ কৰিলেহে সাধাৰণ মানুহে বুজিব। সাধাৰণ পঢ়ুৱৈক মূঢ় অথবা মূর্খ বুলি ভবাসকলেহে এনেভাৱে উচ্চাৰণ কৰিব নোৱাৰা অশালীন শব্দ-প্রয়োগেৰে

জনসাধাৰণক কোনো লোকৰ অপকৰ্মৰ বিষয়ে বুজাব পৰা হ'ব বুলি ভাবে। দৰাচলতে তেওঁবিলাকে নিজৰ মাপকাঠীডালেৰেই জনসাধাৰণকো জুখিব খোজে? ই অত্যন্ত ভ্ৰমাত্মকো আৰু ক্ষতিকাৰকো? অসমৰ নিৰক্ষৰ জনসাধাৰণো অত্যন্ত সংস্কৃত মনৰ! আমাৰ লোকমন, লোক-সংস্কৃতি আৰু লোক-ভাষালৈ চকু দিলেই এই কথাৰ সত্যতা যি কোনো সাধাৰণ বুদ্ধিসম্পন্ন লোকেই বুজিব পাৰিব। এই লোক-জীৱনক যেন অসম্মান নকৰে এয়ে মোৰ অনুৰোধ।

ভাৰতৰ প্ৰেছ কাউন্সিলৰ এসময়ত সদস্য হিচাপে থকাৰ অভিজ্ঞতাৰপৰা মই ক'ব পাৰোঁ, অসমৰ সংবাদ-পত্ৰসমূহৰ মান ভাৰতীয় কোনো কোনো আঞ্চলিক ভাষাৰ সংবাদ-পত্ৰতকৈ অনেক গুণে উচ্চস্তৰৰ। কিন্তু আমি ইয়াৰ বাবে সন্তুষ্টি লাভ কৰিব নালাগিব। বৰং কেনেকৈ আমাৰ সংবাদ-পত্ৰসমূহক আৰু উচ্চস্তৰলৈ নিব পাৰি তাৰ বাবে সচেষ্ট হ'ব লাগিব।

স্থানীয় সংবাদসেৱীসকলেও কোনো একোটি সৰু ঘটনাৰো গুৰুত্ব অনুভৱ কৰিব পাৰিব লাগিব। উদাহৰণ স্বৰূপে ১৯৯৭ চনৰ ১৬ নৱেম্বৰৰ দিনা কোকৰাঝাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত 'বড়ো সাহিত্য সভা'ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষ্যে অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰো আমি সিদ্ধান্ত লওঁ আৰু সেই সিদ্ধান্ত অনুসৰি অসম সাহিত্য সভাৰ পতাকা উত্তোলিত হয়; তদুপৰি বড়ো সাহিত্য সভাৰ সেইদিনাৰ সমদল যাত্ৰাত অসম সাহিত্য সভাৰ পতাকাও বহন কৰা হৈছিল। আমাৰ জাতীয় জীৱনৰ অনেক 'বেয়া' খবৰৰ মাজতো ই আছিল এটা 'ভাল' খবৰ। কিন্তু আমাৰ কোনো কাকতেই এই খবৰটো প্ৰকাশ নাপালে।

প্ৰসংগক্ৰমে কৈ থ'ব খোজোঁ অসম সাহিত্য সভাৰ পক্ষৰপৰা আমি অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি অনুভৱ কৰাৰ দৰেই আমাৰ জনগোষ্ঠীয় ভাষা-সাহিতৰ প্ৰতিও আমাৰ আন্তৰিক স্নেহ আৰু দায়িত্ব আন্তৰিকতাৰেই অনুভৱ কৰোঁ। আমাৰ বিভিন্ন প্ৰকাৰৰ সীমাবদ্ধতাৰ বাবে আমি বাঞ্ছা কৰা মতে কাম কৰিব নোৱাৰিলেও আমাৰ সহৃদয়তাৰ অভাৰ ঘটিছে বুলি যেন কোনেও নাভাবে।

তিনি

বিলাসীপাৰা অধিৱেশনত মই আমাৰ সমাজ জীৱনৰ বহুত্ববাদী চৰিত্ৰ স্বীকাৰ কৰি লৈ এক সামাজিক ভাতৃত্ববোধ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ কথা কৈছিলোঁ। যোৱা বছৰটোৰ বিভিন্ন অনুষ্ঠানত এই বিষয়টোৰ ওপৰত দিয়া আন্তৰিক গুৰুত্বৰ ফল স্বৰূপে আমাৰ থলুৱা ভাষাৰ সাহিত্য—অনুষ্ঠানসমূহৰ লগত, অসমত নিগাজীকৈ বসবাস কৰি থলুৱা হোৱা বিভিন্ন ভাষা-ভাষীসকলৰ লগত, বিশেষকৈ বঙালী, হিন্দী, ৰাজস্থানী, নেপালী ভাষা ভাষীসকলৰ লগত, আৰু চৰ-চাপৰিৰ অসমীয়া সকলৰ লগত এটি মধুৰ সম্পৰ্ক গঢ়ি উঠিবৰ উপক্ৰম হৈছে। মই বিশ্বাস কৰোঁ অসমৰ নিগাজী বাসিন্দা এই সকলোৰে প্ৰতি সঁচাকৈয়ে যদি আমি আন্তৰিক আত্মীয়তা অনুভৱ কৰিব পাৰোঁ, তেওঁবিলাক আমাৰ পৰ হৈ থাকিব নোৱাৰে। অসমৰ চাহ বাগিচাৰ লোকসকল যিদৰে বৃহত্তৰ অসমীয়া সমাজৰ এটি অবিচ্ছেদ্য অংগত পৰিণত হ'ল, তেনেদৰে লাহে লাহে অসমত নিগাজীকৈ বসবাস কৰা আমি সকলোৰেই একেটা উমৈহতীয়া পৰিচয়ৰেই পৰিচিত হ'ম। ব্যৱধান মাত্ৰ সময়ৰ। আমাৰ কাৰোবাৰ পূৰ্বপুৰুষ আগত আহিছিল, কাৰোবাৰ পিছত। এই যে বিভিন্ন নৃ-গোষ্ঠী আৰু সামাজিক গোষ্ঠীৰ সংমিশ্ৰণ ঘটিল, সেইবাৰেইতো অসমীয়া ভাষা আৰু সংস্কৃতি ইমান বৈচিত্ৰ্যময়ভাৱে সুন্দৰ হৈ উঠিল।

বৈচিত্ৰ্যই আমাৰ জাতীয় জীৱনৰ অলংকাৰ—এই সত্যটো আমি অনুভৱ কৰিব পাৰিলে সংঘাত আৰু সংঘৰ্ষৰ বাবে ঠাই থাকিব ক'ত? মই মৰ্মে মৰ্মে অনুভৱ কৰোঁ যে আমাৰ জাতীয় জীৱনৰ এই বহুত্ববাদী চৰিত্ৰ স্বীকাৰ কৰি ল'ব পাৰিলে সামাজিক অস্থিৰতা বা উত্তেজনাৰ কোনো অৱকাশ নাথাকিব। অৱশ্যেই লক্ষ্যহীন বহুত্ববাদ বিপদৰ কাৰণ হ'ব পাৰে। আজিৰ অসমত সেয়ে হৈছে। আজি প্ৰত্যেক সামাজিক গোটে নিজৰ অস্তিত্ব আৰু পৰিচয় প্ৰতিষ্ঠাৰ প্ৰশ্ন তুলিবলৈ গৈ পাৰস্পৰিক বিচ্ছিন্নতাবোধ গঢ়ি তোলা হ'ব নালাগিব; ইয়াৰ লক্ষ্য হ'ব লাগিব পাৰস্পৰিক সম্মান আৰু সহযোগিতাৰ মনোভাৱেৰে সামাজিক ভাতৃত্ববোধ গঢ়ি তোলা। এই লক্ষ্যৰ কথা পাহৰিলে বহুত্ববাদৰ ধাৰণা বিপদজনক হ'ব পাৰে — এই কথা সততে মনত ৰাখিব লাগিব। মনত ৰাখিব লাগিব— সামাজিক ভাতৃত্ববোধৰো শেষ লক্ষ্য মানৱিকবোধ। মই এই মানৱিক মূল্যবোধ ঢুকি পাৰলৈ জাতীয় মূল্যবোধত বিশ্বাস কৰোঁ; অৰ্থাৎ বিশেষ মানুহৰ মাজেদি নিৰ্বিশেষ মানুহৰ মই ওচৰ চাপিব খোজোঁ। সেই বাবেই জাতীয়তাবাদক মানুহ আৰু মানুহৰ সমস্যা চিনি পোৱাৰ প্ৰাথমিক ধাপ বুলি মই ভাবোঁ। এই জাতীয়তাবাদেৰে দ্বিতীয় বহল ধাপটো হ'ল ৰাষ্ট্ৰীয়তাবাদ। এই ধাপটো পাৰ হৈ আমি এই পৃথিৱী নামৰ সৰু গ্ৰহটোত থকা মানৱ প্ৰজাতিৰ ওচৰ চাপো। ন

মনুষ্যৎ হি পৰং দেৱঃ, অর্থাৎ মানুহৰ বাহিৰে আৰু কোনো দেৱতা নাই। সেইবাবেইতো আমাৰ ব্যৱহাৰিক জীৱনৰ সকলো কাম মানুহৰ মংগলৰ বাবে কৰাৰ প্ৰয়োজনীয়তাৰ কথা ভাবোঁ। এই যে সার্বজনীন 'মানুহ'টো— তাক আমি অনন্ত সময় আৰু অনন্ত আকাশৰ পটভূমিতো থ'ব পাৰিব লাগিব। অর্থাৎ একে সময়তে এহাতে তাৰ অস্তিত্বহীনতা আৰু আনহাতে নশ্বৰ পার্থিৱ জীৱনৰ অস্তিত্ব— এই দুয়োটা আমি অনুভৱ কৰিব পাৰিব লাগিব। মই ভাবোঁ— বাইবেলে আমাক পার্থিৱ জীৱনৰ শোকাশ্ৰু মচি দিবলৈ শিকায়; কো�ৰাণে শিকায় জীৱনক সু-শৃংখলিত কৰি শান্তিপূর্ণ কৰিবলৈ আৰু উপনিষদে শিকায় অনন্ত সময় আৰু অনন্ত আকাশৰ বুকুত জীৱনক থাপনা কৰি তাৰ স্বৰূপ বুজিবলৈ। আমি এই সত্য হয় বুজি নাপাওঁ, নহয় ক্ষুদ্ৰ স্বার্থৰ বাবে এই সত্যৰ বিকাৰ ঘটাওঁ। সেইবাবেই আমি 'ৰাম জনমভূমি—বাবৰি মছজিদ'ৰ পার্থক্য বিচাৰ কৰোঁ, আমি মানুহক হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টিয়ান আদি ৰূপত চিনি পাবলৈ যত্ন কৰোঁ; ধর্মৰ লগত অতি ক্ষুদ্ৰ দলীয় ৰাজনীতি যুক্ত কৰোঁ আৰু ধর্ম ৰক্ষাৰ নামত অধর্ম আচৰণ কৰোঁ। সাধাৰণ শিক্ষা লাভ কৰিও যিসকল লোকে ধর্মৰ মূল তত্ত্ব আৰু শিকনি বুজিব নোৱাৰি ধর্মৰ বাহিৰৰ আচাৰ-নীতিকে ধর্ম বুলি ভাবি ধর্ম আচৰণ কৰে তেওঁবিলাক সাধাৰণ মানুহৰ পাৰাও ধর্মৰ মূল তত্ত্ব আৰু শিকনি দূৰলৈ লৈ যায়। মহাপুৰুষ শংকৰদেৱে এনে সকলক উদ্দেশ্য কৰিয়েই কৈছে

মূর্খ হুয়া বোলে মঞি পণ্ডিত।
নষ্ট কৰি ফুৰৈ আনৰো চিত্ত।।

চাৰি

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ কর্ষণৰ যোগেদি আজি মানুহে মানুহৰ সভ্যতাৰ এটি বিশ্বজনীন ৰূপ গঢ়ি তুলিছে; কিন্তু মানুহে যেন ক্ৰমাত হেৰুৱাবলৈ আৰম্ভ কৰিছে মানৱিক প্ৰেমৰ উত্তাপ। ফলত আজি ব্যাপকভাবে সমগ্ৰ পৃথিৱীত মানৱিক মূল্যবোধবোৰ লুণ্ঠিত আৰু লাঞ্ছিত হৈছে। মই পূর্বেও কৈ আহিছোঁ যে উগ্ৰজাতীয়তাবাদ আৰু উগ্ৰসাম্যবাদ এই দুয়োটা শিবিৰে সমগ্ৰ বিশ্বজুৰি হিংসাৰ বিষ বাষ্প বিয়পোৱাত সর্বাধিক ৰৰঙণি যোগাইছে। এহাতে যন্ত্ৰ-সভ্যতাই মানুহক যেন ক্ৰমাৎ কৰিছে মানৱীয় উত্তাপহীন আৰু আনহাতে এই দুই শিবিৰে বিয়পাইছে হিংসা। এই অৱস্থাত মানুহৰ ভিতৰৰ 'মানুহ'টো আজি আক্ৰান্ত হৈ ছটফটাই আছে ঐশ্বর্য-বিভূতিয়ে, সা-সম্পদে কি কৰিব যদি মানুহৰ ভিতৰৰ 'মানুহ'টো এনেভাৱে অপঘাতত আক্ৰান্ত হৈ মৰণোন্মুখ হৈ পৰে? শিল্প, সাহিত্য, সংস্কৃতি, শিক্ষা, ধর্মৰ কি কাম আছে যদি এইবিলাকে মানুহটোক ৰক্ষা কৰিব নোৱাৰে? সময়ৰ এই প্ৰত্যাহ্বান প্ৰত্যেক ভাষাৰ, প্ৰত্যেক ঠাইৰ লেখক, শিল্পী, সাংবাদিক, বুদ্ধিজীৱীসকলে গ্ৰহণ কৰিব পাৰিব লাগিব।

অসমতো আমি প্ৰত্যক্ষ কৰিছোঁ কেনেভাৱে মানুহ আজি অপমানিত, লাঞ্ছিত, আক্ৰান্ত আৰু নিহিত হৈছে, কেনেভাৱে গুলী বাৰুদৰ ধোঁৱাই আমাৰ ক্ষুদ্ৰ আকাশ ছানি পেলাইছে। প্ৰত্যেক মুহূর্তত যেন মৰণে চোপ পাতি আছে। সেইবাবে মই অস্ত্ৰত বিশ্বাসীসকলক অস্ত্ৰৰ পৰিৱর্তে জনশক্তিৰ ওপৰত বিশ্বাস স্থাপন কৰিবলৈ আকৌ আহ্বান জনাওঁ। মই চৰকাৰকো বাবে বাবে আহ্বান কৰি আহিছোঁ— যান্ত্ৰিকভাৱে নহয় আন্তৰিকতাৰে যত্ন কৰক সংলাপ বিনিময় কৰিবলৈ। যিমানে সময় পাৰ হ'ব সিমানেই অস্ত্ৰ হাতত লোৱা সকলৰ বাবে সমগ্ৰ বিষয়টো 'সম্মানৰ বিষয়' হৈ উঠিব। মই বাবে বাবে কৈছোঁ অস্ত্ৰবে নিজৰ দাবী প্ৰতিপন্ন কৰিব খোজাসকলৰ দাবীকে আলোচনাৰ বিষয় কৰি লওক—সংলাপ আৰম্ভ কৰক। হিংসাৰে হিংসা দমন কৰিব নোৱাৰি, বঢ়াব পাৰি। সেইবাবে সামৰিক শক্তিৰ প্ৰয়োগ উগ্ৰবাদৰ উত্তৰ নহয়। অস্ত্ৰত বিশ্বাসীসকলকো মই মুকলিকৈ কওঁ সংঘাতৰ পথ নহয় সংলাপৰ পথ গ্ৰহণ কৰক আৰু দেশ আৰু মানুহক ৰক্ষা কৰক। তেওঁবিলাকক মই মুকলিকৈ আহ্বান জনাব খোজোঁ— আজি অসমৰ বিভিন্ন সামাজিক গোটৰ মাজত সোমোৱা বিচ্ছিন্নতাৰ ভাব দূৰ কৰি প্ৰতিটো সামাজিক গোটৰ স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰিও কেনেকৈ এখন ঐক্যবদ্ধ অসম গঢ়ি তুলিব পাৰি তাৰ ইতিবাচক ভূমিকা গ্ৰহণ কৰিবলৈ ওলাই আহক। ওলাই আহক আমাৰ সম্পদৰ ভিত্তিত ক্ষুদ্ৰ আৰু মজলীয়া কৃষি, উদ্যোগ আৰু বাণিজ্য গঢ়ি তুলি আমাৰ জনজীৱনৰ অর্থনীতি টনকিয়াল কৰিবলৈ। যি কাম যোৱা পঞ্চাছ বছৰে আমাৰ ৰাজ্য চৰকাৰসমূহে বা কেন্দ্ৰীয় চৰকাৰ-সমূহে কৰিব নোৱাৰিলে, সেই কামৰ বাবে ৰাজ্যৰ যুৱশক্তিক নেতৃত্ব দিবলৈ ওলাই আহক। অসমৰ বাবে আজি আটাইতকৈ প্ৰয়োজন হৈছে অর্থনৈতিক স্বাৱলম্বিতাৰ; অধিক ৰাজনৈতিক অধিকাৰ বিচাৰিবলৈ আমি বহুত সময় পাম যদি আমি আমাৰ ভবিত থিয় হ'ব পাৰোঁ। তদুপৰি, সাম্প্ৰতিক কালত সমগ্ৰ দেশজুৰি ঘটা ৰাজনৈতিক অধিকাৰ বিচাৰিবলৈ আমি বহুত সময় পাম যদি আমি

আমাৰ ভৰিত থিয় হ'ব পাৰোঁ। তদুপৰি, সাম্প্ৰতিক কালত সমগ্ৰ দেশজুৰি ঘটা ৰাজনৈতিক ভ্ৰষ্টাচাৰত অতিষ্ঠ জনসাধাৰণৰ মাজৰ সুপ্ত অপৰাজেয় শক্তিক অহিংস আৰু সঠিকভাৱে জগাই তোলাৰ বাবে সুযোগ উলিয়াই ল'ব পাৰিলে দেশৰ সংবিধান আৰু আইন জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা পৰাকৈ সলাই ল'ব নোৱাৰাৰ কোনো কাৰণ নাই। মনত ৰাখিব লাগিব, পাকিস্তানে সমস্ত শক্তিৰে সহায় কৰিও কাশ্মীৰৰ এচাহি মাটিও ভাৰতৰ মাটিপৰা নিব পৰা নাই। এতেকে আমাৰ অধিকাৰ আমি অহিংস উপায়েৰে নহয় অহিংস উপায়েৰেই সাব্যস্ত কৰিব লাগিব। তাৰ বাহিৰে কোনো চমু পথ নাই। আহক আমাৰ চিন্তা, কল্পনা আৰু শক্তি তাৰ বাবে ব্যয় কৰোঁ আৰু ভ্ৰষ্টাচাৰত লিপ্ত ৰাজনৈতিক শক্তিবোৰক অপ্ৰাসংগিক কৰি তোলোঁ। অবাৰত ৰক্তক্ষয়ৰ পথ বন্ধ নহ'লে কাৰো মংগল নহ'ব। আমি মনত ৰাখিব লাগিব আমাৰ ঘাই সম্পদ 'মানুহ'হে তেল, কয়লা, চাহপাত নহয়। আমি যদি আমাৰ মানুহ সম্পদ গঢ়ি তুলিব নোৱাৰোঁ, সোণৰ বাগিচা পালেও আমি ৰাখি খাব নোৱাৰিম।

আমাৰ লেখক, সাংবাদিক, বুদ্ধিজীবীসকলে তেওঁবিলাকৰ লেখাৰ যোগেদি ভ্ৰষ্টাচাৰীৰ বিৰুদ্ধে কেৱল ক্ৰোধ সৃষ্টি কৰি থাকিলে সেই ক্ৰোধৰ জুইত কোনোবা সময়ত নিজেও পৰিব লাগিব; তেওঁবিলাকে আৱেগৰ পৰিবৰ্তে যুক্তিৰ ভেটি গঢ়ি তোলাৰ বাবে ৰঙণি যোগাওক আৰু মানুহৰ ভিতৰত সুপ্ত মানৱীয় শক্তিক জগাই তোলাৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহক। আমি তেহে শান্তিৰ সময় ঘুৰাই পাব পাৰিম আৰু তেতিয়াহে সুস্থিৰে আমি সাহিত্য-শিল্পৰ কথাও পাতিব পাৰিম আৰু চৰ্চা আৰু অনুশীলনো কৰিব পাৰিম। সেই সুদিনলৈ আগ্ৰহেৰে বাট চালোঁ।

পাঁচ

কেনেকৈ বিভিন্ন নৃ-গোষ্ঠীৰ ৰক্তৰ সংমিশ্ৰণত 'অসমীয়া মানুহটো' গঢ় লৈ উঠিল, কেনেকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ চীন-তিব্বতীয়, ভোট-চীন, কুকি-চীন, তিব্বত বৰ্মী আদি মূলৰ পৰা ওলোৱা সুৰীয়া ভাষা (toral language) ব্যবহাৰ কৰা আমাৰ পূৰ্বপুৰুষসকলে আৰ্য ভাষাৰ সূঁতি এটিক আশ্ৰয় কৰি, নিজৰ নিজৰ ধ্বনিগত আৰু ৰূপগত কিছু বিশেষত্ব তাত সংযোগ কৰি এটা উমৈহতীয়া ভাষা সৃষ্টি কৰিলে, কেনেকৈ গঢ়ি তুলিলে এটা উমৈহতীয়া ব্যবহাৰিক জীৱন আৰু সংস্কৃতি, সেই বিষয়ে মই মোৰ পূৰ্বৰ ভাষণত কিছু কথা কৈ আহিছোঁ। মন কৰিবলগীয়া এয়ে যে ৰক্তৰ বিচাৰত অসমীয়া মানুহৰ শৰীৰত অনা-আৰ্যভাষীসকলৰ, আৰু তাৰ ভিতৰতো বিভিন্ন শাখা-প্ৰশাখাৰ মংগোলীয় মূলৰ মানুহৰ ৰক্তৰ প্ৰভাৱেই হ'ল সৰ্বাধিক; কিন্তু ভাষাৰ বিচাৰত অনা আৰ্যভাষাৰ অনেক উপাদান সোমালেও ভাৰতীয় আৰ্য ভাষাৰ উপাদানেই হ'ল স্বাভাৱিকতেই সৰ্বাধিক। তেনেদৰে, গৰু আৰু নাঙলৰ ব্যৱহাৰেৰে কৃষি-সভ্যতা আৰু কৃষি-সংস্কৃতিৰ ভেটি ব্ৰহ্মাসকলৰ মাজতো প্ৰাক্-বৈদিক আৰ্য-উপাদানৰ প্ৰভাৱ মন কৰিবলগীয়া। এনে উপাদানসমূহে স্বাভাৱিকতেই তুলনামূলকভাৱে আছিল উন্নত। এই উন্নত ভাষা আৰু সংস্কৃতিৰ ৰূপ স্বাভাৱিকতেই আমাৰ পূৰ্বপুৰুষসকলে গ্ৰহণ কৰি তাক নিজৰ উপযোগিকৈ সজাই লৈ এটা নিজস্ব ৰূপ দান কৰিলে। সিয়েই আমাৰ উমৈহতীয়া ভাষা আৰু সংস্কৃতি। ভাষা আৰু সংস্কৃতিৰ উন্নত আৰু প্ৰয়োজনীয় ৰূপ মানুহে সদায় গ্ৰহণ কৰি আহিছে। আজি বিশ্বমুখী সভ্যতাৰ যুগত পুৰা শুই উঠাৰপৰা ৰাতি শোৱালৈকে আমি যিমানবোৰ সামগ্ৰী ব্যৱহাৰ কৰোঁ, যেনেভাৱে জীৱন যাপন কৰোঁ, সেই সামগ্ৰী আৰু ৰীতি আমি আমাৰ পূৰ্ব পুৰুষসকলৰপৰা পোৱানে? কিন্তু যিহেতু ইবিলাক সময়োপযোগী, উন্নত আৰু প্ৰয়োজনীয়, আমি স্বাভাৱিকভাৱেই সেইবিলাক নিজৰ কৰি লৈছোঁ। সেইবিলাক এতিয়া আমাৰ নিজস্ব সম্পদলৈ ৰূপান্তৰিত হ'ল। ইতিহাসে ঢুকি পোৱাৰ আগতে আমাৰ পূৰ্বপুৰুষসকলেও তেনেকৈয়ে এটা উন্নত ভাষা আৰু সংস্কৃতিৰ উপাদানবোৰ নিজৰ কৰি লৈছিল। সেইবিলাক আমাৰ জীৱনৰ অবিচ্ছেদ্য অংগত পৰিণত হ'ল।

অসমত সম্প্ৰতি মাজে সময়ে আমাৰ বিভিন্ন সামাজিক গোটৰ লোকৰ মাজত মূৰ দাঙি উঠিব খোজা আৰ্যভাষা আৰু সংস্কৃতিৰ প্ৰতি বিৰুদ্ধ মনোভাৱ আৰু নিজৰ মূল বিচাৰি ঘুৰি যোৱাৰ মনোভাৱ দুয়োটাই অবৈজ্ঞানিক, অযুক্তিকৰ আৰু নিজৰ বাবে ক্ষতিকাৰক। এই সত্য আমি বুজি নাপালে ক্ষতি আনৰ নহয়, হ'ব আমাৰ নিজৰ। এনেভাৱে মূল বিচাৰি ম'হৰ মঙহলৈ ভোজ খোৱা বা কৌপিন পিন্ধি সমদল যাত্ৰা কৰা বা ল'ৰা-ছোৱালীক অনাধুনিক আৰু অত্যন্ত সীমিত ক্ষেত্ৰত ব্যবহৃত ভাষা শিকোৱাৰ বাবে যত্ন কৰা সকলে সভ্যতাৰ ৰথচক্ৰ পিছলৈ ঘুৰাব খোজে। মই স্পষ্ট ভাষাৰেই সুধিব খোজোঁ আমি ইতিপূৰ্বেই নিজে ক'ব নোৱাৰাকৈ নিজৰ বুলি ভবা, অথচ আমাৰ পূৰ্বপুৰুষে উন্নত ভাষা সংস্কৃতিবপৰা লোৱা, আমাৰ ভাবিক আৰু সাংস্কৃতিক উপাদানবোৰ বাছি উলিয়াব পাৰিমনে? সেইখিনি বাছি উলিয়াই দলিয়াই পেলালে আমাৰ বাবে কিমানখিনি

ব্যৱহাৰ উপযোগী ভাষিক আৰু সাংস্কৃতিক উপাদান থাকিব? তাৰে আমি আমাৰ বৰ্তমান জীৱননিৰ্বাহ কৰিব পাৰিমনে? দ্বিতীয় প্ৰশ্নটো হ'ব পাৰে, আমি আজি আমাৰ জীৱন যাপনত যিবোৰ ভাষিক আৰু সাংস্কৃতিক উপাদান তথা ব্যৱহাৰ্য সামগ্ৰী গ্ৰহণ কৰিছোঁ, তাৰতো সৰহখিনিয়েই বিদেশী, ঘাইকৈ পশ্চিমৰ। আমি সেইবিলাক সকলো বাদ দি জীৱন যাপন কৰিব পাৰিমনে?

মনত ৰাখিব লাগিব—সভ্যতাৰ ৰথচক্ৰ সদায় আগলৈহে যায়, পিছলৈ নুঘুৰে। ভাৱজগত আৰু বস্তুজগত দুয়োটাতে এই অগ্ৰগতিৰ প্ৰভাৱ পৰে। আমি সেই প্ৰভাৱ নাইকিয়া কৰিব নোৱাৰোঁ। অতীত অধ্যয়নৰ প্ৰয়োজন আমাৰ ভবিষ্যতক গঢ় দিবলৈ আৱশ্যকীয় তথ্য পাতি আহৰণৰ বাবেহে; অতীত জীৱন যাপন কৰিবলৈ নহয়। এই কথা নুবুজিলে ক্ষতি আমাৰ নিজৰ হ'ব। আমি উপনিষদৰ লগত পৰিচিত হোৱাৰ পিছত গছ-পূজা, শিল-পূজা, সাপ-পূজা আদি পূজালৈ ঘুৰি যাব পাৰিমনে? ঘুৰি যাব পাৰিমনে বুঢ়াডাঙৰীয়াৰ পূজালৈ, ভূত-প্ৰেত পূজালৈ?

ভাৰতবৰ্ষৰ প্ৰাচীন ইতিহাসৰ অধ্যয়নে প্ৰমাণ কৰে যে আৰ্য আৰু অনাৰ্য সভ্যতা আৰু সংস্কৃতিৰ সমন্বয়তেই ইয়াত এক উন্নত সভ্যতা আৰু সংস্কৃতি গঢ় লৈ উঠিছিল, আৰু এই সভ্যতা আৰু সংস্কৃতি য'লৈকে বিয়পি গৈছিল, তালৈকে সমন্বয়ত গঢ় লৈ উঠা এক উমৈহতীয়া ভাৰতীয় মন আৰু মূল্যবোধো বিয়পি পৰিছিল। সেই বাবেইতো, বিভিন্ন ভাষা আৰু সংস্কৃতিৰ অধিকাৰী হ'লেও কন্যাকুমাৰিকাৰ পৰা কাশ্মীৰলৈকে আৰু গুজৰাটৰপৰা অৰুণাচললৈকে এই সমগ্ৰ অঞ্চলৰ জনসাধাৰণৰ মাজত এটা ভাৰতীয় মন সদায় সক্ৰিয় হৈ থকা দেখোঁ। বাহিৰৰ বিভিন্নতা সত্বেও আমি এটা সমুহীয়া মনৰ অংশীদাৰ। ভাৰতৰ ৰাজনৈতিক মানচিত্ৰ বিভাজিত হ'ব পাৰে, কিন্তু ভাৰতৰ সাংস্কৃতিক মানচিত্ৰ বিভাজিত নহয় আৰু হ'ব নোৱাৰে। মন কৰিবলগীয়া এয়ে যে কম্বন, তুলসীদাস, মাধৱকন্দলীয়ে বাল্মীকিৰপৰা গ্ৰহণ কৰা যি মূল্যবোধ আৰু শিকনি তামিল, হিন্দী বা অসমীয়া ভাষীৰ বাবে কঢ়িয়াই আনিলে, সেই একে মূল্যবোধ কাৰ্বিৰ অনামী কবিয়ে 'চাৰিন আলুন'ৰ মাজেদি কঢ়িয়াই আনিলে কাৰ্বিসকললৈ আৰু খামতিৰ অনামী কবিয়ে খামতি ভাষাৰ যোগেদি কঢ়িয়াই আনিলে খামতিসকললৈ।

ভাষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ দুটা হ'ল ইয়াৰ আঁৱত সক্ৰিয় হৈ থকা সামাজিক মন আৰু সামাজিক জীৱন। সেইবাবেই ভাষা আৰু সংস্কৃতি ৰাজহুৱা সম্পদ স্বৰূপে গঢ় লৈ উঠে। তদুপৰি, সময়ৰ পৰিৱৰ্তনৰ লগে লগে জনসাধাৰণে ভাষা আৰু সংস্কৃতিক নিজৰ উপযোগীকৈ নতুন নতুন উপাদানেৰে সমৃদ্ধিশালী কৰি তোলে। সেই বাবে ব্যক্তিগতভাৱে কোনো লোক বা গোটে নিৰিচৰা উপাদানো যদি জনজীৱনে গ্ৰহণ কৰে, তেনে উপাদান দলিয়াই পেলোৱা সম্ভৱ হৈ নুঠে। অসমীয়া ভাষাৰ ক্ষেত্ৰতো বা সংস্কৃতিৰ ক্ষেত্ৰতো আমি তেনে সমস্যাৰ সম্মুখীন হৈ আহিছোঁ। অসমলৈ ভাৰতৰ বিভিন্ন ঠাইৰপৰা আহি বসবাস কৰা অন্যান্য ভাৰতীয় ভাষা-ভাষীসকলৰ মুখৰ অনেক ভাষিক আৰু সাংস্কৃতিক উপাদান অসমীয়া ভাষালৈ সোমাই আহিছে। তদুপৰি, আমাৰ চাহ বাগিচাৰ আৰু চৰ অঞ্চলৰ জনজীৱনৰপৰাও অনেক শব্দ আৰু প্ৰকাশ ভংগী অসমীয়া ভাষাত আহি সোমাইছেহি। আমি সিৰিলাকৰ প্ৰয়োজনীয়খিনি গ্ৰহণ কৰিবই লাগিব। অৱশ্যেই মান্য ভাষাই গ্ৰহণ বৰ্জনৰ প্ৰক্ৰিয়াটো স্বাভাৱিকভাৱেই নিয়ন্ত্ৰণকৰিবলৈ যত্ন কৰে। প্ৰয়োজনীয় শব্দই ভাষাক চহকী কৰে, অপ্ৰয়োজনীয় আৰু ভাষাৰ ৰূপৰ লগত খাপ নোখোৱা শব্দই ভাষাত জঞ্জাল বঢ়ায়, আৰু বিজতৰীয়া ঠাঁচে ভাষা মাৰে। অসমীয়া ভাষাই যুগে যুগে অনেক বিদেশী মূলৰ শব্দ হয় নিজৰ সাঁচত মাৰি লৈছে নহয় সিৰিলাকক যথাযথ ৰূপতে গ্ৰহণ কৰিছে। তাৰদ্বাৰা ভাষা বিজতৰীয়া হোৱা নাই। এতিয়া ইণ্টাৰনেট, পে'জাৰৰ যুগ, টেলিপ্ৰিণ্টাৰ, টেলিফোন, ফে'ৰ যুগ। এই শব্দবোৰৰ আমি কোনো উপযুক্ত বেলেগ প্ৰতিশব্দ নাপালোঁ বুলিয়েই শব্দবোৰ ব্যৱহাৰ নকৰিমনে? কিন্তু অসমীয়া ভাষাত কোনোবাই যেতিয়া 'বস্তুৰা ৰাখে' গৰু-মহ'ৰ পৰিৱৰ্তে কাৰোবালৈ কোনোবা যেতিয়া 'ৰখি থাকে', হাবি-বন, গছ-গছনিৰ লগতে দাড়ি, চুলি, ধান, মাছ, মাংস, পাচলি সকলো কোনো কোনোৱে 'কাটিবলৈ' লয়, তেতিয়াই ভাষাই 'ত্ৰাহি মধুসূদন' নেদেখাকৈ নাথাকে। আমি সেই অৱস্থাৰ প্ৰতি সজাগ হ'ব লাগিব। তথাপি যদি ভাষাই কালক্ৰমত এনে কিছুমান শব্দ বা প্ৰকাশভংগী আত্মসাৎ কৰি লয়, তেতিয়া অৱশ্যেই সিহঁতক ঘৰৰ বাহিৰ কৰি দিয়া টান হ'ব। কিন্তু আমি চাব লাগিব যাতে আমাৰ ভাষাৰ সৌষ্ঠৱ আৰু ঠাঁচ নষ্ট কৰিব পৰা উপাদান সমদল যাত্ৰা কৰি আহি সোমাব নোৱাৰে।

ছয়

সংস্কৃতিৰ ঘাই আধাৰেই হ'ল নান্দনিক চেতনা। জীৱনৰ সৰু-বৰ সকলো কাম সুন্দৰ কৰি তোলাৰ বাবে মানুহৰ অন্তৰত

সোমাই থকা চেতনাই তাৰ সংস্কৃতি গঢ়ি তুলিছে। এই নান্দনিক দৃষ্টি বা চেতনাৰ প্ৰকাশ যুগ বা অঞ্চল ভেদে পৃথক হ'ব পাৰে, কিন্তু নান্দনিক চেতনাক তাৰদ্বাৰা অতি সহজে ডাঙৰ-সৰু বুলি ঠাৱৰাব নোৱাৰি। আদিম মানুহৰ মাজতো আমি একে মাত্ৰাৰ সৌন্দৰ্যবোধ দেখিব পাৰোঁ। কিন্তু আমি তোনো কৰ্ম সদায় তাৰ ঐতিহাসিক পৃষ্ঠভূমিত থৈয়েই বিচাৰ কৰিব লাগিব। তেতিয়হে দেখা যাব যিটো আমি স্থূলতা-বুলি আজিৰ দৃষ্টিৰে চাই ভাবি লৈছো, তাৰ মাজত সমকালীন মানুহৰ গভীৰতৰ সৌন্দৰ্য-চেতনা নিহিত হৈ থাকিব পাৰে। আমি লোক-সংস্কৃতি বিচাৰ কৰোঁতে এই কথা সদায় মনত ৰাখিব লাগিব। আমাৰ বিভিন্ন জনগোষ্ঠীয় সংস্কৃতিৰ মাজতো আমি তদ্ৰূপ সৌন্দৰ্যবোধৰ প্ৰকাশ অনুভৱ কৰিব পাৰোঁ।

নিসন্দেহে মানুহে বৃত্তৰ পিছত বৃত্ত ভাঙি নিজৰ সভ্যতাৰ পৰিধি ক্ষুদ্ৰৰপৰা বিশালতৰ কৰি অনাৰ লগে লগে নান্দনিক চেতনাৰ প্ৰকাশো সূক্ষ্মৰপৰা সূক্ষ্মতৰ হৈ আহিছে; সভ্যতাৰ লগত সংস্কৃতিৰ ৰূপৰো স্বাভাৱিক পৰিবৰ্তন ঘটিছে। কিন্তু সংস্কৃতিৰ মূল্য তাৰ অন্তৰ্নিহিত সৌন্দৰ্য্য বোধৰ বিচাৰ নকৰাকৈ নিৰূপণ কৰা সম্ভব নহয়। তদুপৰি সংস্কৃতিৰ গছত ফুলা ফুল স্বৰূপে চাৰু কলা বা চাৰু শিল্পৰ বিচাৰ কৰোঁতে সৌন্দৰ্যবোধ আৰু মানৱিকবোধৰ প্ৰকাশৰ গভীৰতাই প্ৰধানভাবে বিবেচ্য। সমানেই বিবেচ্য প্ৰকাশভংগীত ঘটা উন্নতৰ ভাববস্তু আৰু ৰূপবন্ধৰ সমাবেশ।

শিল্প-কলা মানৱ-শক্তিৰ সুন্দৰতম বিকাশ। সুন্দৰৰ ধাৰণাৰ লগত ভাৰতীয় আলংকাৰিকসকলে ৰস আৰু আনন্দ দুয়োটিকে সংযুক্ত কৰিছে। সৌন্দৰ্যবোধ দেশ, কাল আৰু ব্যক্তিভেদে পৃথক। একপ্ৰকাৰ ক'বলৈ গলে এই বোধ আপেক্ষিক। তত্ৰাচ ইয়াৰ লগত মানুহৰ অন্তৰৰ সুকুমাৰ ভাব আৰু অনুভূতিৰ সাৰ্বজনীন প্ৰকৃতি সংযুক্ত। দেখা গৈছে দেশ, কাল, ব্যক্তিভেদে বোধৰ তাৰতম্য আৰু প্ৰকাশ ৰীতিৰ তাৰতম্য ঘটে। সেইবাবেই তাৰ এটি দেশগত, কালগত আৰু ব্যক্তিগত ৰূপো ফুটি উঠে। অসমীয়া শিল্প-সাহিত্যৰ মাজতো আমি নিৰ্বিশেষ মানৱীয় সুকুমাৰ বোধ আৰু মানৱীয় অনুভূতিৰ নিজস্ব প্ৰকাশ-ৰীতি আৰু প্ৰকাশ-মহিমা দেখা পাওঁ। ইয়াৰ বাহিৰৰ অনেক উপাদান আমাৰ বিভিন্ন সামাজিক গোষ্ঠীৰ সাংস্কৃতিক জীৱনৰপৰা যে আহৰণ কৰা হৈছে, সেই বিষয়ে সহজে অনুমান কৰিব পাৰি। কিন্তু ইয়াৰ ভিতৰৰ যি প্ৰাণবস্তু ।ন উন্নততৰ চিন্তা, বোধ আৰু দক্ষতাৰ লগত সংযুক্ত। ইয়াৰ ভিতৰতো দুটা ধাৰা অনুভৱ কৰিব পাৰি। এটা ধাৰাত পাৰ্থিৱ আ- ৰ প্ৰকাশ, য'ত ৰূপৰ মাজত ৰূপ সন্ধান লক্ষ্যবস্তু; আনটো ধাৰাত পাৰ্থিৱতাক অতিক্ৰম কৰাৰ আকাংক্ষাৰ প্ৰকাশ য'ত ৰূপৰ মাজত অৰূপৰ সন্ধান লক্ষ্য বস্তু। এই দ্বিতীয় ধাৰাই 'কুণ্ডল ভাঙি চাই তাৰ প্ৰকৃত সুবৰ্ণ-ৰূপ' প্ৰত্যক্ষ কৰাৰ পথ নিৰ্দেশ কৰিছে। প্ৰথমটো ধাৰাত যদি পাৰ্থিৱ জীৱনৰ সাধনা সংযুক্ত হৈছে, দ্বিতীয়টোত ব্ৰহ্মৰ সাধনা সংযুক্ত হৈছে। সেই ব্ৰহ্ম 'গুণাতীত কিন্তু সকলো গুণৰ আকাৰ; অৰূপ কিন্তু সকলো ৰূপৰ আধাৰ'। এই ধাৰাটো উপনিষদৰ পৰা বৈ আহিছে 'আনন্দেতি ব্ৰহ্মেতি' হৈ ভাৰতীয় শিল্প-সাহিত্যলৈ। ৰবীন্দ্ৰনাথে 'ৰূপেৰ মাঝে অৰূপ তুমি বাজাও আপোন সুৰ' বুলি তোলা সুৰৰ মাজত এই ধাৰাই প্ৰতিষ্ঠা দান কৰা সত্যই ঝংকৃত হৈছে।

অসমত এই ধাৰাৰ প্ৰবেশৰ ঐতিহাসিক দিন-বাৰ-তাৰিখ ধাৰ্য কৰা এতিয়াও সম্ভৱ হৈ উঠা নাই; কিন্তু শংকৰদেৱৰ মাজত আহি এই ধাৰাই পূৰ্ণ প্ৰকাশ লাভ কৰিলেহি। সত্য আৰু সুন্দৰ দুয়োটিৰে সংযুক্তিত শিল্প-সাহিত্যই লাভ কৰিলে এটা নতুন আয়তন। আনকি এই তত্ত্ব আৰু ৰূপ সাধাৰণ মানুহৰ হৃদয়লৈও এনেভাবে সঞ্চাৰিত হ'ল, যে আমাৰ লোক-জীৱন, লোক-সাহিত্য, আৰু লোক-সংস্কৃতিবো ই প্ৰাণবন্তত পৰিণত হ'ল। এই তত্ত্ব আৰু ৰূপ ধৰ্মৰ ৰূপত নহয়, সাংস্কৃতিকবোধৰ ৰূপত আমাৰ বৰ্ণাঢ্য সামাজিক গোটসমূহৰ মাজলৈকে সঞ্চাৰিত হ'ল আৰু আমাৰ জন-গোষ্ঠীয় সমাজ-জীৱনকো স্পৰ্শ কৰিলে। কেবল সেয়ে নহয়, তাৰ প্ৰতিধ্বনি জিকিৰতো শুনা গ'ল।

আধুনিক কালৰ অৰ্থাৎ ব্ৰিটিছ অহাৰ পিছৰ সময়ত ৰচিত আমাৰ সাহিত্যত যিদৰে আমি নতুন মানৱিক দৃষ্টি এটাৰ সংস্পৰ্শ লাভ কৰিলো, তেনেদৰেই কিন্তু আমাৰ ঐতিহ্যলব্ধ বোধৰ আধাৰৰপৰাও আমি বিচ্যুত নহ'লোঁ। আমাৰ লোক-সাহিত্য, শিষ্ট-সাহিত্য আৰু আধুনিক সাহিত্য সকলোবে মাজেদি এক বিশিষ্ট জীৱনবোধ আৰু নান্দনিকবোধৰ ফল্গু প্ৰবাহিত হৈ থাকিল আৰু এতিয়াও আছে। কোনোবা যদি তাৰপৰা বিচ্যুত হৈছে, আমি ক'ব নোৱাৰাকৈয়ে তেওঁক আচৰিত যেন অনুভৱ কৰিছোঁ। আমাৰ ভাষাৰ মাজতো সি প্ৰবাহিত হৈ আহিছে। এই বিশিষ্ট জীৱনবোধ আৰু সৌন্দৰ্যবোধৰ লগত পৰিচয় নাথাকিলে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি, কোনোটোকে বিচাৰ কৰা সম্ভৱ নহয়। বেজবৰুৱা, কনকলাল বৰুৱা, বাণীকান্ত কাকতি আদি সকলে অসমী

ভাষা, সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনৰ এই প্ৰাণ-প্ৰবাহটি সঠিকভাৱেই আৱিষ্কাৰ কৰি গৈছে। এই প্ৰাণ-প্ৰবাহটিৰ লগত পৰিচয় নথকা লোকে অসমীয়া লোক-জীৱন তথা সমাজ জীৱনকো যথাৰ্থতে চিনি পাব নোৱাৰে। তেনে লোকৰ হাতত সাহিত্যৰ বিচাৰ কোন স্তৰলৈ নামিব পাৰে তাৰ অনেক উদাহৰণ আছে। আমাৰ মাৰ্ক্সবাদী সাহিত্য-বিচাৰৰ ঘাই ত্ৰুটিও ইয়াতেই।

ইতিহাসবোধ নাথাকিলে যে কোনো বিষয়ৰ সন্তুলিত বিচাৰেই সম্ভৱ নহয় সেই কথা সততে স্মৰণীয়। মাৰ্ক্সবাদী আদৰ্শৰ লগত নিমিলিল বাবেই বেজবৰুৱা-গোহাঞিবৰুৱাক ভৎৰ্সনা-যোগ্য বুলি ভবাসকল প্ৰকৃত মাৰ্ক্সবাদীও নহয় আৰু সমাজ, সাহিত্য-সংস্কৃতিৰ অধ্যয়ন-স্বৰূপ নাৰিকলৰ মোল বুজা লোকো নহয়। বস্তুনিৰপেক্ষ, নিৰ্মোহ বিচাৰ কৰিবলৈ গৈ যদি কোনো লোকনিজেই ব্যক্তিনিষ্ঠ হৈ উঠে, তেওঁৰ বিচাৰ শেষ পৰ্যন্ত ব্যক্তিনিষ্ঠতাৰ ওপৰলৈ উধাব কেনেকৈ? তথ্যৰ ভিত্তিত বৈজ্ঞানিক সিদ্ধান্তলৈ অহাৰ পৰিবৰ্তে, আগতে সিদ্ধান্ত কৰি লৈ সেই সিদ্ধান্ত প্ৰতিপালন কৰিব পৰা তথ্য-পাতি সংযোগ কৰি কাম কৰা সকলৰ দৃষ্টিভংগী, কাম, পদ্ধতি তিনিওটাই অবৈজ্ঞানিক হ'বলৈ আৰু এনে কামৰ ফলো ভুল হ'বলৈ বাধ্য। মাৰ্ক্সবাদী সমালোচনাৰ নামত হোৱা এনে ভ্ৰমাত্মক পদ্ধতিৰ এতিয়া সংশোধন ঘটাও চকুত পৰিছে। কিন্তু এতিয়াও 'আবতৰীয়া বেঙেনাই মোক তোল মোক তোল বোলা'ৰ দৰে দুই-এক নিসিজা লোকৰ মাজে মাজে আৱিৰ্ভাৱ ঘটে। এওঁবিলাকে 'খাদ'ত কথা নকয়েই, 'তাব'তহে কয়। আমি এই সকলৰ ক্ষেত্ৰত —

"বৰণৰ পাশে বান্ধি থৈয়ো কত কাল।
আপুনি বয়স হৈলে বুদ্ধি হৈব ডাল।।" বুলি আশা কৰাৰ বাহিৰেনো কি কৰিব পাৰোঁ?

সাত

আমাৰ সাহিত্য আৰু শিল্পৰ মাজেদি প্ৰবাহিত নান্দনিক চেতনাৰ সম্যক অধ্যয়ন এতিয়াও হৈ উঠা নাই। এই চেতনাৰ লগত এহাতে প্ৰাক্‌বৈদিক আৰ্য যুগৰ চেতনাৰ, আৰু আনহাতে আৰ্যেতৰ জনগোষ্ঠীয় জীৱনৰ এক অবিচ্ছেদ্য সম্পৰ্ক স্থগিত হৈ এটি নিজস্ব ৰূপ পৰিগ্ৰহণ কৰিছে। আমাৰ লোক-জীৱন, লোক-মন আৰু লোক-সংস্কৃতিৰ গভীৰ অধ্যয়নে তাৰ সন্ধান আমাক দিব পাৰিব। আমাৰ সাহিত্য শিল্পৰ নান্দনিক বিচাৰ কৰাৰ সময়ত এই দিশটো বিশেষভাৱে বিচাৰ্য। অৰ্থাৎ এই বিচাৰ কৰিবলৈ সাংস্কৃতিক-নৃতত্ব, সামাজিক নৃতত্ব আৰু ভাষাতত্বৰ অধ্যয়নো প্ৰয়োজনীয় বিবেচিত হ'ব লাগিব। ড° বাণীকান্ত কাকতিয়ে এই আটাইকেইটাৰ সংশ্লিষ্ট অধ্যয়নৰ বাট কাটি দি গৈছে। সেই বাট চিনি নাপালে উমৈহতীয়া অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি তথা অসমীয়া সাহিত্য-শিল্পৰ সম্যক বিচাৰেই যে কেবল শুদ্ধ নহ'ব এনে নহয়, বৰং আমাৰ বিভিন্ন জনগোষ্ঠীয় জীৱন আৰু সংস্কৃতিৰ অধ্যয়নো সঠিক নহ'ব। আমি মনত ৰাখিব লাগিব একদেশদৰ্শী বিচাৰে কোনো বিষয়-সম্পৰ্কে ভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰিব, বিষয়ৰ প্ৰকৃত স্বৰূপৰ পৰিচয় দিব নোৱাৰিব।

আমাৰ আধুনিক কালৰ সাহিত্যত বিষয় বৈচিত্ৰ্য যে ঘটা নাই এনে নহয়, কিন্তু এতিয়াও আমাৰ সাহিত্যৰ সন্তুলিত সম্যক বিচাৰ হোৱা বুলি ক'ব নোৱাৰি। সাহিত্যৰ বিচাৰত কিন্তু ব্যক্তিনিষ্ঠতা থাকিবই। কিন্তু তত্ৰাচ একদেশদৰ্শী বিচাৰ যে অত্যন্ত ক্ষতিকাৰক সেই কথাৰ ইংগিত মই পূৰ্বৰ ভাষণত দি আহিছোঁ। দেখা যায় অনেক সমালোচকে কোনো ৰচনাত থকা সাহিত্য-মূল্য কি বুজি নাপাই তেওঁৰ নিজৰ অক্ষমতা আৰু দৌৰ্বল্যৰ দায় লেখকৰ ওপৰত জাপি দিয়ে। কেতিয়াবা আকৌ কোনো সমালোচকে কোনো ৰচনাত নথকা বস্তুৰ 'আৱিষ্কাৰ' কৰে। আনলোকৰ কথা নকৰেই চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু নৰকান্ত বৰুৱাৰ দৰে লেখকৰ ৰচনাৰ সম্পৰ্কে কোনো কোনো আলোচকে একোসময়ত দিয়া মত— অভিমতৰ মাজতে এনে ধৰণৰ একদেশদৰ্শিতা বা দুৰ্বলতা চকুত পৰে। পুৰণি অসমীয়া কবিতা আৰু ঊনবিংশ শতিকাৰ অসমীয়া কবিতা সম্পৰ্কে কৰা পৰিশ্ৰম— নিৰ্ভৰ অধ্যয়নৰ ক্ষেত্ৰটো আকৌ দেখা গৈছে নৱ-বৈষ্ণৱ আন্দোলনৰ ভাবনা সলিলত স্নাতক অসমীয়া গ্ৰামীণ জীৱনৰ ভাষা আৰু সংস্কৃতিৰ লগত আত্মিক পৰিচয় নথকা বা বেজবৰুৱা-বাণীকান্তৰ প্ৰকৃত দৃষ্টিভংগী বুজি নোপোৱাৰ ফলত এনে অধ্যয়ন "শ্ৰমে মাত্ৰ ফল, ফলে মাত্ৰ শ্ৰম" লৈ ৰূপান্তৰিত হৈছে। অথচ এনে কোনো কোনো লোকে কৰা 'আৱিষ্কাৰ'ক চমৎকাৰিত্ব দেখা পাই প্ৰশংসা কৰা লোকৰো অভাব ঘটা নাই। সকলো সময়তে এনে লেখক আৰু প্ৰশংসক থাকিবই। সময় হ'ল সকলোৰে প্ৰধান বিচাৰক। সময়ে মূল্যবান সম্পদ ৰাখিব আৰু বাকীখিনি উঠাই লৈ গুচি যাব। মনত ৰাখিব লাগিব সৃষ্টিশীল ৰচনাৰ ঘাই শক্তি হ'ল ইয়াৰ মাজত থকা মানৱিক অনুভূতিৰ গভীৰতা আৰু ইয়াৰ ৰূপৰ সৌন্দৰ্য। এই

অনুভূতি যি স্থায়ী ভাবৰ আধাৰতে জাগ্রিত নহওক, সি মানবিক বোধ হেৰুৱাব নালাগিব। ব্যাসে দুর্যোধনক বা বাল্মীকিয়ে ৰাৱণক, অর্জুন বা ৰামৰ প্রতি লোৱাৰ দৰে সমান যত্নেৰে আৰু মানবীয় সহানুভূতিৰেই সৃষ্টি কৰিছিল। তেওঁবিলাকে আজিকালি এচাম, সমাজ-পৰিবর্তনৰ বাবে সাহিত্যক হাতিয়াৰ কৰাৰ বাবে ওকালতি কৰা, বহুবর্ষী আৰু নিজৰ ক্ষুদ্রত্ব সম্পর্কে জ্ঞান নথকা দাম্ভিক লোকৰ দৰে নিজে দুর্যোধন বা ৰাৱণক অশালীন ভাষাৰে গালি-শপনি নপৰাকৈয়ে দুর্যোধন বা ৰাৱণৰ চৰিত্র সঠিক ৰূপত দাঙি ধৰিছে। কৃষ্ণই অর্জুনক কৌৰৱক মাৰিবলৈ উচটনি দিয়াটোৱেই গীতাৰ শিকনি বুলি বুজাসকলৰ মনৰ অবিদ্যাপাশ নোহোৱালৈকে তেওঁবিলাকক বুজোৱাৰ কোনো উপায় নাই। এইসকলে নিজৰো ক্ষতি কৰে আৰু আনৰো ক্ষতি কৰে। অনেক উদীয়মান লেখক-লেখিকাৰ প্রতিভা এনে লোকৰ শিকনিয়ে নষ্ট কৰিছে। এনে লোকৰ বাবে যে তাহানিৰ বেঙাবৰুৱাৰ চেকনী দালৰ প্রয়োজন আছে, সেই বিষয়ে সন্দেহ নাই বুলিয়ে ভবা হৈছে। কিন্তু বেয়া বস্তুত কোৱ মাৰিলে গাত চিটিকি পৰাৰ সম্ভাৱনাও নুই নকৰোঁ। তথাপি কোনোবাই কৰবাত আৰম্ভ কৰিবই লাগিব। নহ'লে 'নৰ' সৃষ্টি কৰিবলৈ গৈ আমি 'বানৰ' সৃষ্টিতে ব্যস্ত হৈ ৰম।

আমাৰ সাম্প্রতিক কালত সাহিত্যত আমাৰ বিভিন্ন সামাজিক গোটৰ পৰা ওলাই অহা এচাম প্রতিভাৱান লেখক লেখিকাৰ কণ্ঠস্বৰে নতুন মাত্রা সংযোগ কৰিছে। স্বাধীনতাৰ অব্যৱহিত পৰৱর্তী সময়ৰ 'ৰামধেনু'ৰে সচেতনভাৱে আমাৰ বিভিন্ন সামাজিক গোটৰ মাজত থকা এচাম লেখক লেখিকা আৱিষ্কাৰ কৰিছিল। পৰৱর্তী সময়চোৱাত আমি লুম্বেৰ দাই, ৰংবং, তেৰং ইমদাদ উল্লাহ, জয়ন্ত ৰংপী, ৰাজেন্দ্র নাথ ৰবদলৈ, সনন্ত তাঁতী, ৰবীন্দ্র সৰকাৰ, চিৰঞ্জীৱ জৈন, সমীৰ তাঁতী, জীৱন নৱহ, খৰিৰ আহমেদ আদি প্রতিভাৱান লেখকসকলৰ কণ্ঠস্বৰ শুনিবলৈ পাইছোঁ। অৱশ্যেই গদ্য—সাহিত্যৰ লেখকৰ সংখ্যা অনুপাতিকভাৱে কম। মই অনুভৱ কৰোঁ, আমাৰ বিভিন্ন জনগোষ্ঠীয় ভাষা-ভাষী অসমীয়া চাহ-বাগিচাৰ অসমীয়া, কল কাৰখানাৰ অসমীয়া, চৰ-চাপৰিৰ অসমীয়াকে ধৰি বাংলাভাষী মূলৰ অসমীয়া, নেপালী মূলৰ অসমীয়া, ৰাজস্থানী মূলৰ অসমীয়া, হিন্দী ভাষী মূলৰ অসমীয়া আদি বিভিন্ন সমাজ জীৱনৰ সুখ দুখ, আশা-আকাংক্ষা, দ্বন্দ্ব-সংঘাতৰ জীৱন ছবি অসমীয়া ভাষাত ফুটাই তুলিবলৈ সেই সেই জীৱনৰ পৰা এচাম লেখকওলাই আহিবই লাগিব। তেতিয়াহে [illegible] জীৱনৰ লগতো বহল অসমীয়া সমাজখন আন্তৰিকভাৱে পৰিচিত হ'বলৈ সুযোগ পাব, আৰু অসমীয়া সাহিত্যয়ো এক বহল আৰু গভীৰ মাত্রা লাভ কৰিব। তদুপৰি সংশ্লিষ্ট সমাজ জীৱনৰ কিছু সাংস্কৃতিক উপাদানৰ উপৰিও প্রয়োজনীয় অর্থব্যঞ্জক শব্দৰ নিশ্চিত প্রয়োগে অসমীয়া ভাষাৰ শব্দ সম্ভাৰো চহকী কৰিব।

আঠ

ভাষাৰ কথাই যেতিয়া ওলাইছে মই পূর্বে ব্যক্ত কৰা মোৰ বিশ্লেষণ আৰু মতৰ লগত সংগতি ৰাখি কওঁ অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰৰ মান সকলো প্রকাৰে যদি উন্নত কৰা নহয়, এই বিদ্যালয়বোৰ ভয়ংকৰ অৱস্থাৰ সম্মুখীন হৈছে আৰু হ'ব। ইতিমধ্যে যোৰহাটৰ দৰে জিলাত অসমীয়া মাধ্যমৰ প্রায় সত্তৰ আশীখন প্রাথমিক বিদ্যালয় ছাত্র-ছাত্রীৰ অভাৱত বন্ধ কৰিবলগীয়া হৈছে। ইংৰাজী মাধ্যমৰ প্রতি বাঢ়ি অহা আকর্ষণৰ ফলত ব্যৱসায়িক ভিত্তিত অনুপযুক্ত শিক্ষক-শিক্ষয়ত্রীৰে গঢ়ি তোলা ইংৰাজী মাধ্যমৰ বিদ্যালয় কাঠফুলাৰ দৰে বাঢ়ি আহিছে। ইয়াৰ ফলত যে অসমীয়া ভাষাৰে ক্ষতি সাধিত হ'ব এনে নহয়, এনে বিদ্যালয়বোৰৰো প্রভূত ক্ষতি সাধিত হ'ব। এই কথা আমাৰ শিক্ষক, অভিভাৱক, সচেতন সমাজ আৰু বিশেষকৈ চৰকাৰে বুজি পাব লাগিব। মই বাৰে বাৰে কৈ আহিছোঁ বিষয় হিচাপে ইংৰাজী সৰুৰে পৰা এনেভাৱে শিকোৱাৰ ব্যৱস্থা গ্রহণ কৰিব লাগিব যাতে উচ্চ মাধ্যমিক শিক্ষাৰ শেহত আমাৰ ছাত্র-ছাত্রীয়ে ইংৰাজী ভাষাৰ যোগেদি আৱশ্যকীয় জ্ঞান আৰু ৰস আহৰণ কৰিব পৰাৰ দক্ষতা আহৰণ কৰে আৰু ইংৰাজীৰে যোগাযোগ কৰাৰ দক্ষতা আহৰণ কৰিব পাৰে। তাকে নকৰিলে, অভিভাৱকে ইংৰাজী ভাষাত দক্ষ কৰি তুলিবলৈ নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ বিদ্যায়লয়লৈ পঠাবই। আমাৰ এক প্রকাৰ গ্রামীণ সাংস্কৃতিক জীৱনৰ পৰিবেশত ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালীৰ বাবে বিদ্যালয়ত গৈ ইংৰাজী ভাষা শিকাটোৱেই মুখ্য লক্ষ্য হৈ পৰে; বিষয় বুজি উঠা স্বাভাৱিকতেই কঠিন হৈ পৰে। আমি ল'ৰা-ছোৱালীক কেৱল ভাষা শিকাৰ বাবে স্কুললৈ পঠাওঁ নে বিষয় শিকিবলৈ? ভাষা হ'ল বিষয় শিকাৰ মাধ্যমহে। আমি ল'ৰা-ছোৱালীক মাধ্যমত দক্ষ কৰিব খুজিছোঁনে, বিষয়ত? এই প্রশ্নবোৰ আমি নিজকে কৰা উচিত।

দিল্লী আৰু বোম্বেৰ তথাকথিত অভিজাতসমাজত তথা পাশ্চাত্য সাংস্কৃতিক প্ৰভাৱত ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালীৰ বাবে ইংৰাজী মাধ্যমৰ উপযোগিতা থাকিব পাৰে; ভাৰতৰ নিৰানব্বৈ শতাংশ ল'ৰা ছোৱালীৰ বাবে নাই। এই সত্যটো আমি যিমান সোনকালে অনুভৱ কৰোঁ, সিমানেই আমাৰ মংগল। মই চৰকাৰক আহ্বান জনাওঁ, চৰকাৰে এটা পিয়ল কৰাওক— ইংৰাজী মাধ্যমত ৰাজ্যখনৰ কিমান ল'ৰা-ছোৱালীয়ে যোৱা পাঁচোটা দশকত , আমাৰ সমাজ-জীৱনলৈ কেনে ধৰণৰ সেৱা আগ বঢ়াবলৈ সমৰ্থ হৈছে, আমাৰ মাতৃভাষাৰ মাধ্যমত স্কুলীয়া শিক্ষা লোৱা কিমান লৰা-ছোৱালীয়ে কেনে ধৰণৰ সেৱা আগবঢ়াইছে। চৰকাৰে যদি নকৰে, নকৰাৰ সম্ভাৱনাই বেছি, আমাৰ কোনো কাকত বা আলোচনীয়েই এই বিষয়ে এটা সমীক্ষা চলাওক। তেতিয়াই গম পোৱা হ'ব কাঠফুলাৰ দৰে গজি উঠা এই স্কুলবিলাকে কেনে প্ৰতিভাৰ ছাত্ৰ-ছাত্ৰী গঢ়ি উলিয়াইছে।

আমাৰ বিদ্যালয়সমূহৰ, মাধ্যম, পাঠ্যক্ৰম, শিক্ষানীতি, পৰীক্ষা-পদ্ধতি আদিৰ দোষ-ত্ৰুটিবোৰ তদন্ত কৰিবলৈ আৰু তেনেবোৰ ত্ৰুটি আঁতৰাই বিদ্যালয়সমূহৰ শিক্ষাৰ মান নিখুঁত , সময়োপযোগী আৰু উন্নত কৰি তোলাৰ বাবে পৰামৰ্শ দিবলৈ এটা আয়োগ গঠন কৰিবৰ বাবে মই আমাৰ ৰাজ্য চৰকাৰক দি অহা পৰামৰ্শ অৰণ্য-ৰোদনত পৰিণত হৈছে। আমাৰ ৰাজনৈতিক নেতৃবৃন্দ আৰু প্ৰশাসনীয় বিষয়াসকল জাতিৰ ভৱিষ্যৎ সম্পৰ্কে সামান্য উদ্বিগ্ন হোৱা হ'লেও এই পৰামৰ্শৰ গুৰুত্ব হৃদয়ংগম কৰিব পাৰিলেহেঁতেন। তেওঁবিলাকে আয়োগৰ নামত আয়োগ গঠন কৰিলেই নহ'ব; যথার্থতে সমস্যাটো বুজি পাব লাগিব আৰু তাৰ নিৰাকৰণৰ উপায় চিন্তিব পাৰিব লাগিব। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ভেটিটো সুদৃঢ় কৰি ল'ব নোৱাৰিলে তাৰ ওপৰত জাতীয় জীৱনৰ সৌধ নিৰ্মাণ কৰিব কেনেকৈ?

বৰ্তমান বিশ্বমুখী সভ্যতাৰ লগত খাপ খোৱাকৈ আমাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ উপৰিও ভাষা-বিষয়ক পাঠ্যক্ৰমে যাতে শৈশৱেপৰা ল'ৰা ছোৱালীৰ প্ৰাণত মানৱীয় মূল্যবোধ, নৈতিক মূল্যবোধ, সাংস্কৃতিক মূল্যবোধ, সৌন্দৰ্যবোধ, দেশাত্মবোধ আদি ভাবৰ সাঁচ বহুৱাব পাৰে তাৰ প্ৰতি বিশেষ চকু দি পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত পশ্চিমা আদৰ্শৰ অনুকৰণ কৰিবলৈ গৈ ইতিমধ্যে আমি যথেষ্ট ক্ষতি সাধন কৰিছো, আৰু যেন কৰা নহয়। এয়ে অনুৰোধো আৰু সকীয়নিও প্ৰসংগক্ৰমে মই অসমৰ ঠায়ে ঠায়ে ৰাজহুৱা যত্নত গঢ় লৈ উঠা যোৰহাটৰ বাল্যভৱন আৰু জোনাকী সংঘৰ স্কুলৰ দৰে স্কুল, গুৱাহাটী নগাওঁ আদিত গঢ় লৈ উঠা জাতীয় বিদ্যালয়ৰ দৰে স্কুল, ডিব্ৰুগড়ৰ শিশুভাৰতী, ডিগবৈৰ, শিশুনিকেতনৰ দৰে স্কুলসমূহৰ প্ৰতি অসমৰ শিক্ষাবিভাগৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। এই বিদ্যালয়সমূহ স্থাপনৰ আদৰ্শই চৰকাৰৰ শিক্ষা বিভাগৰ যদি চকু মুকলি কৰিব নোৱাৰে জানিব লাগিব এই বিভাগৰ অন্ধতাই আমাৰ ভৱিষ্যতকো অন্ধকাৰলৈ ঠেলি লৈ গৈছে।

প্ৰতিটো কামৰ এটা লক্ষ্য আৰু আদৰ্শ থাকিব লাগিব। নহ'লে কামৰ কি প্ৰয়োজন আছে? আমি যেতিয়া পাঠ্যক্ৰম কৰোঁ তেতিয়াও আমাৰ চকুৰ আগত নিৰ্দিষ্ট লক্ষ্য, শিশুৰ মাজত সোমাই থকা শক্তি আৰু সম্ভাৱনাৰ সুস্থ বিকাশ ঘটাবলৈকেতো শিক্ষাৰ আশ্ৰয় লৈছোঁ। কোন পথেৰে গ'লে আমি সেই লক্ষ্যত উপনীত হ'ব পাৰিম, এয়ে হ'ব লাগিব আমাৰ প্ৰাথমিক চিন্তা আমি সঠিক পথ আবিষ্কাৰ কৰি ল'ব পাৰিবই লাগিব।

এতিয়াৰ বিশ্বত জ্ঞানৰ বিস্ফোৰণ ঘটিছে। সকলো বিষয়ৰ অধ্যয়নে লাভ কৰিছে নতুন আৰু বিশাল আয়তন। মানুহৰ সভ্যতাৰ ইতিহাসত তাত্ত্বিক আৰু প্ৰায়োগিক জ্ঞানৰ এনে বিস্ফোৰণ আগতে কেতিয়াও ঘটা নাছিল। আমি যদি মানৱীয় সভ্যতাৰ এই নতুন ৰূপৰ লগত নিজকে চামিল কৰিব নোৱাৰোঁ আমি পিছ পৰি ৰ'ম; কেৱল পিছ পৰি ৰোৱাই নহয়, আমি কালৰ সোঁতত উটি যাম। মানুহৰ ইতিহাসৰ বুকুত কত ডাঙৰ সভ্যতাও হেৰাই গ'ল। আমি আত্মসচেতন নহ'লে হেৰাই যাবলৈ বেছি সময়ৰ প্ৰয়োজন নহ'ব। আমি যদি বাচি থাকিব লাগে, তেনেহ'লে আমাৰ ল'ৰা-ছোৱালীৰ হাতত আমি মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ সৰ্বাধুনিক জ্ঞান তুলি দিব পাৰিব লাগিব। আমি যদি জীয়াই থাকিব খোজোঁ এই জ্ঞানৰ বোজা বহন কৰিব পৰাকৈ আমাৰ ভাষা শক্তিশালী আৰু উপযুক্ত কৰি তুলিব লাগিব। আমাৰ ভাষাত বিজ্ঞান, কাৰিকৰী বিজ্ঞান, চিকিৎসা-বিজ্ঞান, কলা আদি বিষয়ৰ শেহতীয়া তত্ত্ব আৰু তথ্যসমৃদ্ধ পুথি-পত্ৰ প্ৰণয়ন আৰু প্ৰকাশ কৰিছোঁনে? আমাৰ বিষয় বিশেষজ্ঞসকলৰ ওপৰত আৰু প্ৰকাশকসকলৰ ওপৰত এই দায় বৰ্তিছে। তদুপৰি, বৰ্তমান বিশ্বৰ বজাৰত টকাৰ মূল্য ক্ৰমাৎ হ্ৰাস হোৱাৰ পৰিপ্ৰেক্ষিতত, বিভিন্ন বিষয়ৰ ক্লাছিকছসমূহ যদি আমাৰ ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰা নহয়, তেনেহলে আমাৰ ল'ৰা ছোৱালীৰ বাবে এই নৱতম জ্ঞান লাভৰ পথ একপ্ৰকাৰ বন্ধ হোৱাৰ উপক্ৰম ঘটিব। এতেকে, আমি এই বিষয়তো আৱশ্যকীয়

পদক্ষেপ ল'বই লাগিব।

ন

মানুহৰ সভ্যতাৰ ইতিহাস যদি তাৰ জ্ঞান আৰু বিদ্যাৰ ইতিহাস, তেনেহ'লে তাৰ সংস্কৃতিৰ ইতিহাস হ'ল তাৰ মানৱীয় ৰসবোধৰ ইতিহাস। মানুহৰ সমগ্ৰ শিল্প-সাহিত্যৰ ইতিহাস এই ৰসবোধ আৰু ৰস-সৃষ্টিৰ ইতিহাস। এই ইতিহাস বিশাল আৰু গভীৰ— এই ইতিহাস চিৰ গতিশীল। ই মানুহৰ অন্তৰ্জীৱনৰো ইতিহাস। সেয়েহে ই বিচিত্ৰ-বৰ্ণাঢ্য; কেতিয়াবা সৰল, কেতিয়াবা জটিল। পৃথিৱীৰ বিভিন্ন ভাষাই যুগে যুগে কঢ়িয়াই লৈ আহিছে তাৰ "যুগে যুগে কত ৰূপ"। আমি আমাৰ ভাষাতো এই ৰূপ আৰু তাৰ প্ৰাণৰ আকুতিৰ স্বৰূপ ফুটি উঠা দেখা পাইছোঁ। লোক-ভাষাৰপৰা শিষ্ট-ভাষালৈকে আমাৰ ভাষাৰ বিভিন্ন ৰূপৰ মাজত যিসকলে মানুহৰ অন্তৰ্জীৱনৰ সুখ-দুখ, আনন্দ-বিষাদ, হাঁহি-কান্দোন, আশা-আকাংক্ষা ধৰি ৰাখিছে কথাৰে, সুৰেৰে, ছন্দেৰে,- তেওঁবিলাকেইতো আমাৰ সৰ্বাধিক আপোন, সৰ্বাধিক স্নেহৰ আৰু সৰ্বাধিক শ্ৰদ্ধাৰ পাত্ৰ বুলি গণ্য কৰিছোঁ। যুগে যুগে ৰজা আহিছে আৰু গৈছে, কিন্তু ব্যাস, বাল্মীকি, কালিদাস, শে'পীয়েৰ, শংকৰদেৱ, মাধৱদেৱ, কবীৰ' সুৰদাস, ৰবীন্দ্ৰনাথ, প্ৰেমচাঁদ আছে আৰু সদায় থাকিব। তেওঁবিলাকেই আমাৰ ইতিহাস তেওঁবিলাকেই আমাৰ সাৰ্বজনীন অন্তৰ্জীৱনৰ অমৰ ৰূপকাৰ।

ভাৰতবৰ্ষই কবিক ঋষি বুলি মান্য কৰি গৈছে। কাৰণ ঋষিত্ব প্ৰাপ্ত নোহোৱালৈকে কোনেও সত্যক দেখা নাপায়; আৰু সত্যক নেদেখিলে কোনেও শ্ৰোত্ৰ বা মন্ত্ৰ ৰচনা কৰিব নোৱাৰে। কবিসকলে যুগে যুগে হৃদয়-সত্যক আবিষ্কাৰ কৰি আহিছে আৰু তাৰেই 'মন্ত্ৰ' সৃষ্টি কৰি আহিছে। হৃদয়-সত্য অনুভৱৰ বিষয়। কবিসকলে শব্দৰ মাজত ধৰি ৰাখিবলৈ যত্ন কৰি আহিছে সেই হৃদয়-সত্য। যুগে যুগে হৃদয় সত্য চোৱাৰ দৃষ্টিভংগী বেলেগ হৈছে, সেই সত্য প্ৰকাশৰ ৰীতি বেলেগ হৈছে, হৃদয়-সত্য কিন্তু একেদৰেই আছে— 'চিৰদিন চিৰকাল'। গ্ৰন্থৰ বাহিৰে কোনো মাধ্যমে এই সত্য আমাৰ বাবে ধৰি ৰাখিব নোৱাৰে। ইলে'নিক মাধ্যমে গ্ৰন্থ-অধ্যয়নৰ আকৰ্ষণ কমোৱা বুলি অনেকে বিভিন্ন সময়ত কৰা মন্তব্য আংশিকভাৱেহে সত্য। মুদ্ৰণ-মাধ্যমৰ কোনো পৰিপূৰক মাধ্যম ওলাব বুলি আশা কৰিব নোৱাৰি। কিন্তু আমি আমাৰ ভাষাত জ্ঞান আৰু ৰস-সমৃদ্ধ কিমান গ্ৰন্থ প্ৰকাশ কৰি উলিয়াব পাৰিছোঁ? আমাৰ প্ৰকাশকসকলে এই বিষয়টো চকুৰ আগত ৰাখিব বুলি আশা কৰিলোঁ। মনত ৰাখিব লাগিব কেৱল 'নোটবুক: পটি কোনো জাতিয়ে বিকাশ লাভ কৰিব নোৱাৰে। এই কথাও সততে স্মৰণীয় যে শিল্প সাহিত্যইহে মানৱিক বাদৰ সতেজ বিকাশ ঘটাই আহিছে যুগে যুগে। আমাৰ ল'ৰা-ছোৱালীৰ ভিতৰত মানৱীয় সুকুমাৰ আৰু সুকোমল অনুভূতিৰ সতেজ বিকাশ সাধন কৰিব নোৱাৰিলে আমি হৃদয়হীন যন্ত্ৰ মানৱৰ সৃষ্টিতহে ৰঙঢঙি যোগোৱা হ'ব। এই কথাও স্মৰণীয় যে উগ্ৰবাদৰ দৰে সমস্যা সমাধানৰো ঘাই অস্ত্ৰ হ'ল মানৱিকতাবাদহে। আমাৰ শিক্ষা, আমাৰ সাহিত্যই যদি মানৱিকবোধৰ সতেজ সম্প্ৰসাৰণ ঘটাব নোৱাৰে, আমাৰ ডেকা ল'ৰাৰ হাতৰ অস্ত্ৰ খহি পৰিব বুলি আশা কৰিব নোৱাৰি। এই ক্ষেত্ৰত আমাৰ সংবাদ-পত্ৰসমূহে, আমাৰ শিক্ষানুষ্ঠানসমূহে স্বেচ্ছাসেৱী সংগঠনসমূহে, প্ৰকাশকসকলে আৰু ছাত্ৰ আৰু যুৱ-সংগঠন তথা সংস্থাসমূহে ইতিবাচক ভূমিকা গ্ৰহণ কৰিবই লাগিব।

পুথিভঁৰাল আন্দোলন গঢ়ি তোলাত স্বেচ্ছাসেৱী গ্ৰাম্য পুথিভঁৰাল সংস্থাৰ দৰে অনুষ্ঠানক সহায় কৰাৰ প্ৰয়োজনো আছে। এসময়ত অসমৰ গাৰেঁ-ভূঞেঁ ৰাইজে গঢ়ি তোলা পুথিভঁৰালসমূহক চৰকাৰে গ্ৰন্থ ক্ৰয়ৰ বাবে একোটি মঞ্জুৰী দিছিল। সেই আঁচনিৰ পুনঃ প্ৰৱৰ্তন কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই চৰকাৰক আহ্বান জনাওঁ।

অসমত ৰাইজে নীৰৱে গ্ৰন্থমেলা আয়োজনৰ এটা আন্দোলন গঢ়ি তুলিছে। ভাৰতৰ অন্যান্য ৰাজ্যত কেৱল প্ৰধান সদৰ নগৰত গ্ৰন্থমেলাৰ আয়োজন কৰা হয়। অসমত কিন্তু প্ৰায় প্ৰতিখন চহৰত গ্ৰন্থমেলাৰ আয়োজন কৰাৰ বাবে এচাম উদ্যোগী লোক আগবাঢ়ি আহিছে। এনে মেলাই গ্ৰন্থৰ প্ৰতি মানুহৰ আকৰ্ষণ বৃদ্ধি কৰাৰ উপৰিও প্ৰকাশকসকলকো নতুন নতুন গ্ৰন্থ প্ৰকাশৰ বাবে অনুপ্ৰেৰণা যোগাইছে। চৰকাৰে যদি ৰাজ্যিক গ্ৰন্থাগাৰ আৰু গ্ৰাম্য পুথিভঁৰালৰ বাবে গ্ৰন্থমেলাৰ সময়ত অঞ্চলে অঞ্চলে গ্ৰন্থ ক্ৰয়ৰ মঞ্জুৰী দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে আৰু আমাৰ স্কুল, কলেজ আৰু অন্যান্য শিক্ষানুষ্ঠানসমূহে যদি গ্ৰন্থমেলাৰ পৰা পুথিভঁৰালৰ বাবে আৱশ্যকীয় গ্ৰন্থ ক্ৰয় কৰে, ই আমাৰ জাতীয় জীৱনত এটা গুৰুত্বপূৰ্ণ ইতিবাচক প্ৰভাৱ পেলাবলৈ সমৰ্থ হ'ব। প্ৰকাশকসকল উপকৃত হ'ব, লেখকসকলো উপকৃত হ'ব। পঢ়ুৱৈৰ সংখ্যা বাঢ়িব আৰু নৱতম জ্ঞান আৰু

ৰস-সমৃদ্ধ সাংস্কৃতিক পৰিৱেশ এটি ধীৰে ধীৰে গঢ় লৈ উঠিব। মই আমাৰ ৰাজ্যৰ জনসাধাৰণকো অনুৰোধ জনাব খোজোঁ— উপলক্ষ্যৰ উপযোগিতা চাই গ্ৰন্থ-উপহাৰ দিয়াৰ অভ্যাস গঢ়ি তোলক।

জানবলৈ পোৱা মতে অসমত গঢ় লৈ উঠা "পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা" নামৰ অনুষ্ঠান এটিয়ে অসমত গ্ৰন্থমেলাৰ আয়োজকসকলৰ পৰা এটা শকত সংখ্যাৰ ৰঙণি লৈহে গ্ৰন্থমেলাসমূহত যোগ দিয়াৰ চৰ্ত আৰোপ কৰিছে। অসমীয়া কিতাপ আৰু পঢ়ুৱৈৰ দুৰ্বল সংখ্যালৈ চকু দি, মই এই সংস্থা আৰু প্ৰকাশক আৰু বিক্ৰেতা বন্ধুসকলক অসমীয়া কিতাপৰ বিক্ৰীৰ আন্দোলন গঢ়ি তোলাত নিঃচৰ্ত সহযোগ আগবঢ়াই নিজৰ ইতিবাচক ভূমিকা পালন কৰিবলৈ আহ্বান জনাওঁ। তদুপৰি, এই সংস্থাই প্ৰতিবছৰৰ প্ৰকাশিত সৰু-বৰ সকলো অসমীয়া গ্ৰন্থৰ তালিকা এখন প্ৰকাশ কৰাৰ দায়িত্ব লওক যাতে তাৰ ওপৰত ভিত্তি কৰি অসমীয়া গ্ৰন্থ পঞ্জী প্ৰণয়নৰ কামো কৰি যাব পাৰি। তেহে তেওঁবিলাকক প্ৰশংসা কৰিব পাৰিম। তেওঁবিলাকে ৰঙণি নাপালে গ্ৰন্থমেলাত যোগ নিদিয়াৰ ক্ষতিকাৰক সিদ্ধান্ত ল'ব পাৰিব; কিন্তু এই কথা মনত ৰখা ভাল হ'ব যে জাতীয় জীৱনৰ সামগ্ৰিক মংগল অমংগলৰ পটভূমিতহে এনেবোৰ সিদ্ধান্ত বা কাম ভৱিষ্যতৰ ইতিহাসে বিচাৰ কৰিব। নিজৰ ব্যৱসায়িক লাভ-লোকচানৰ লগত জাতীয় জীৱনৰ লাভ-লোকচানৰ দিশ দুটাত চকু ৰাখি এনেবোৰ সিদ্ধান্ত গ্ৰহণ কৰা, নিজৰ প্ৰকাশন আঁচনি গ্ৰহণ কৰা আৰু তেনে প্ৰকাশন পঢ়ুৱৈৰ ওচৰ চপাই দিয়াৰ বাবে উপযুক্ত আৰু আদৰ্শ স্থানীয় পদক্ষেপ লোৱাৰ ব্যৱস্থা কৰিবলৈ মই আহ্বান জনাওঁ। আশাকৰো আমাৰ যোৱা প্ৰায় ডেৰশ বছৰীয়া গ্ৰন্থপ্ৰকাশৰ ইতিহাসত এটা সুস্থ, সবল জাতীয় দায়িত্বৰ ধাৰা বোৱাই অহা প্ৰকাশক সকলৰ সেৱাৰ ঐতিহ্য আমাৰ বৰ্তমানৰ প্ৰকাশকসকলে অধিক শক্তিশালী কৰি তুলিব।

দহ

প্ৰত্যেক যুগে যুগে লেখক ওলাই আহিছে আৰু ওলাই থাকিব। মানুহৰ এই পৃথিৱীখন ধ্বংস নোহোৱালৈকে কবিয়ে কবিতা ৰচনা কৰিবই, গায়কে গীত গাবই। মই অনুভৱ কৰোঁ, প্ৰকৃত সৃষ্টিশীল এজন লেখকে নিজৰ অনুভূতি উপলব্ধি শব্দৰ মাজত সংৰক্ষণ কৰিবলৈ যত্ন কৰে। মূলতঃ প্ৰথমতে নিজৰ বাবে। কিন্তু অনুভূতি প্ৰকাশৰ বাবে কোনো শব্দ কোনো ভাষাতে নাই; সেইবাবেই প্ৰত্যেক কবিয়েই, প্ৰত্যেক লেখকে উপমা দি অলংকাৰ, প্ৰতীক, চিত্ৰকল্প আদিৰ সহায়ত নিজৰ অনুভূতিক উপলব্ধিৰ ব্যঞ্জনা সংৰক্ষণ কৰিবলৈ যত্ন কৰে। আধুনিক কালৰ কবিসকলৰ কথা বাদেই দিয়কচোন, লোক কবিসকললৈ চাওক—কি অপূৰ্ব দক্ষতাৰে অনুভূতিৰ ছবি আঁকিছে? আমাৰ অসমৰ এটা অত্যন্ত মূল্যবান সম্পদ— অসমীয়া ভাষাৰ উপৰিও আমাৰ বিভিন্ন জনগোষ্ঠীয় ভাষাৰ লোক-কবিতাসমূহ। ইয়াৰ মাজতে আমি বিশ্ব—সাহিত্যৰ সোৱাদ ল'ব পৰা বস্তু আছে। আমি মনত ৰাখিব লাগিব-বিশ্ব-সাহিত্য বুলি বেলেগ 'বস্তু' এটা নাই। যিকোনো দেশৰ, যিকোনো কালৰ, যিকোনো ভাষাৰ ৰচনাই 'বিশ্ব-সাহিত্য' হ'ব পাৰে, যদি সেই ৰচনাৰ মাজেদি সাৰ্বজনীন মানবীয় অনুভূতিৰ জীৱন্ত তথা স্পন্দিত প্ৰকাশ ঘটে।

আমাৰ অনেক 'নবীন' লেখকে মাজে-সময়ে ক্ষোভ প্ৰকাশ কৰে তেওঁবিলাকৰ লেখাই স্বীকৃতি লাভ নকৰে বুলি, নাইবা ৰচনা প্ৰকাশৰ বাবে প্ৰকাশক বহু সময়ত আগবাঢ়ি নাহে বুলি। তেওঁবিলাকৰ অসন্তোষৰ বা ক্ষোভৰ নিশ্চয় যুক্তি আছে। কিন্তু লগতে তেওঁবিলাকে নিজৰ ৰচনা নিজেই সমালোচনা কৰাৰ মানসিক শক্তি আৰু দক্ষতা অৰ্জন কৰিবলৈও যত্ন কৰিব লাগিব। এজন লেখকে নিজৰ ভাৱানুভূতি প্ৰকাশৰ বাবে ব্যৱহাৰ কৰা শব্দাবলীয়ে পাঠক বা শ্ৰোতাৰ মনতো সদৃশ ভাৱানুভূতিৰ সৃষ্টি কৰিব পাৰিব নে নোৱাৰে সেই সম্পৰ্কে এজন লেখকে ভাবিবই লাগিব। তদুপৰি, এজন লোকৰ বাবে প্ৰধান আৰু প্ৰাথমিক চৰ্তটোৱেই হ'ল— তেওঁৰ নিজৰ হৃদয়ৰ ওচৰত দায়বদ্ধ হোৱাটো। ওপৰৰ পৰা জাপি লোৱা আদৰ্শ বা চিন্তা যিমানেই মহৎ আৰু গধুৰ নহওক, সেই আদৰ্শ বা চিন্তা এজন লেখকৰ হৃদয়ৰ অনুভূতিক উপলব্ধিলৈ ৰূপান্তৰিত নহ'লে তাৰ ভিত্তিত সাহিত্য ৰচিত হ'ব বুলি আশা কৰিব নোৱাৰি। নবীন লেখক সকলৰ অনেকেই নিজৰ হৃদয়ৰ অনুভূতিৰ অনুসন্ধান কৰাৰ পৰিবৰ্তে বাহিৰৰ চিন্তা বা আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈ লিখিবলৈ যত্ন কৰাৰ ফলত অনেকৰ ৰচনা বক্তব্য সৰ্বস্ব হৈ পৰিছে। তদুপৰি, এই কথাও সমানেই স্মৰ্তব্য যে শিল্প-সাহিত্যত শৃংগাৰ বীৰ, ভয়ানক, কৰুণ, বীভৎস, হাস্য, অদ্ভুত, ৰুদ্ৰ আদি ভাৱ মাধ্যম স্বৰূপে গৃহীত হয় ৰসানুভূতিৰ আনন্দ সৃষ্টি কৰিবৰ বাবেহে, সেই ভাৱত পাঠকক বা শ্ৰোতাক উদ্দীপিত হ'ৱৰ বাবে সুযোগ দিবলৈ

নহয়। সাহিত্য আৰু শিল্পৰ এই স্বধৰ্ম আৰু লক্ষ্য নবুজা কোনো কোনোৱে 'অল্প বিদ্যা ভয়ংকৰী' কথাষাৰৰ সত্যতা প্ৰমাণ কৰি, নিজেও বিপদগামী হৈছে আৰু নবীন এচামকো বিপথে নিছে। কেঁচাই খাঁতিত শৰণ দিব খোজা 'গোসাঁই' সকলৰ পৰা নবীন সকল সাৱধানে দূৰত থকাই সকলো প্ৰকাৰে মংগল।

নবীন সকলৰ মাজৰ পৰা ওলাই অহা প্ৰতিভাৱান লেখকসকলে পাবলগীয়া আৰু পাবপৰা স্বীকৃতি লাভ কৰিছে আৰু লাভ কৰিবই । এতেকে নিজৰ কৰ্মৰ বাবে ততালিকে প্ৰশংসা বা স্বীকৃতি বিচৰাৰ আগতে শৰক নিয়ন্ত্ৰণলৈ আনাৰ সাধনা কৰিব লাগিব সাধনাত যাৰ সিদ্ধি লাভ হৈছে তেওঁ নবীন নে প্ৰবীণ সেই বিচাৰ কোনেও নকৰে। অৱশ্যে এইটো স্বীকাৰ্য যে আমাৰ প্ৰতিভা বিচাৰৰ বাবে কোনো নিৰ্দিষ্ট এটা পদ্ধতি নাই বা এটা বিশেষ 'কোষ' নাই। এই বিষয়টো চিন্তা কৰি চাৰৰ অৱকাশ, নিশ্চয় আছে।

সাহিত্যিকৰ সামাজিক দায়িত্বৰ কথা মই পূৰ্বেও কৈ আহিছোঁ আৰু এতিয়াও কওঁ। এজন লেখকো প্ৰথমতে এজন মানুহ, এজন নাগৰিক। এতেকে তেওঁৰ মানৱীয় দায়িত্ব আৰু নাগৰিক দায়িত্ব তেওঁ পালন কৰিবই লাগিব। তেওঁ এনে দায়িত্ব পালনৰ বাবে কোনো শিল্প সাহিত্যৰ 'ফৰ্ম' ব্যৱহাৰো কৰিব পাৰে যাতে তাৰ দ্বাৰা নাগৰিক দায়িত্ব পালনৰ বাবে বাকীসকলকো আকৰ্ষণ কৰিব পাৰিব। কিন্তু এনেভাৱে শিল্পৰ ফৰ্মত প্ৰচাৰ কৰা বক্তব্যকে 'সাহিত্য' বুলি ভবা সকলক সাহিত্য শিল্পৰ বিচাৰে স্বাভাৱিক ভাৱেই প্ৰত্যাখান কৰিব। এনে কামৰ সমকালীন, সামাজিক, ঐতিহাসিক গুৰুত্ব নিশ্চয় থাকিব পাৰে। কিন্তু এনে বিশেষৰ মাজেদি সদায় 'নিৰ্বিশেষ' মানুহৰ ওচৰ চাপিব পৰা সম্ভৱ হৈ নুঠে। অৱশ্যে মহৎ প্ৰতিভাৱান লেখকে এনে 'বিশেষ'ৰ মাজেদিও 'নিৰ্বিশেষ' মানুহক দাঙি ধৰে, আৰু সৰ্বকালৰ সাহিত্য শিল্পৰ ৰচনা কৰি যায়। সমকালীন অসমীয়া ভাষাত বিশেষ 'বক্তব্যক' নিৰ্বিশেষ মানৱীয় অনুভবলৈ উত্তৰণ ঘটাব পৰা 'গভীৰ জলসঞ্চাৰী' প্ৰতিভা দেখা পোৱা নাই; তাৰ পৰিবৰ্তে 'ষ্ট্ৰোকেন জলমাত্ৰেন' ছটফটাই থকা দুই-একক হয়তো দেখা যায়। এনে লোকেই নিজেই নাজানে যে তেওঁবিলাকে কৰা কামৰ আয়ুস তেনেই চুটি। এই সত্য অনুভৱ নকৰাসকলৰ সম্পৰ্কে 'নামঘোষা'ৰ সুৰতে ক'ৰ মন গৈছে--

"আক যি কুতৰ্কী নামানয় তথা গৈয়া বায়া বাদ্য চয়
বাহু মেলি কৰা অংগীকাৰ অদভুত"।

নবীন লেখক লেখিকা সকলক মই ভাষাত নিজৰ অধিকাৰ সাব্যস্ত কৰিবৰ বাবে যত্ন কৰিবলৈ আহ্বান জনাওঁ। ভাষা নিসন্দেহে এটা সামাজিক সম্পদ। লগতে এই কথাও মনত ৰাখিব লাগিব যে ভাষাৰ এটি ব্যক্তিগত ৰূপো আছে। এই ব্যক্তিগত ৰূপৰ লগত ব্যক্তিৰ ৰুচি, প্ৰকৃতি , শিক্ষা, সংস্কাৰ, সামাজিক জীৱন এই সকলোবোৰ জড়িত হৈ থাকে। যথাৰ্থতে প্ৰতিটো ভাষাৰ যি দৰে এটা সামাজিক- সাংস্কৃতিক পটভূমি আছে, প্ৰতিজন ব্যক্তিৰো তেনেকৈ নিজস্ব সামাজিক-সাংস্কৃতিক পটভূমি আছে। এই পটভূমিৰপৰা বিশ্লিষ্ট কৰি যিদৰে ভাষাৰ মহিমা বিশ্লেষণ কৰিব নোৱাৰি, তেনেদৰে এজন লেখকৰ ব্যক্তিগত ৰচনাও বিশ্লেষণ কৰিব নোৱাৰি। বিনিৰ্মাণৰ(Deconstraction)-ৰ সূত্ৰই এনে অন্বেষণৰ পদ্ধতিৰ উপযোগিতা আজি প্ৰমাণ কৰিছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য, উত্তৰ আধুনিকতাবাদী এই বিনিৰ্মাণৰ সূত্ৰ মুখ্যতঃ অনুসন্ধানৰ এটা পদ্ধতিৰ সূত্ৰ। অনেকে তাৰ বিভিন্ন পদ্ধতিৰ বিশ্লেষণ কৰিছে; কিন্তু ইয়াৰ ঘাই লক্ষ্যটোৰ পৰিচয় ঢাক খাই থকাযেন লাগি আছে। এই অনুসন্ধানৰ পদ্ধতিয়েনো সৃষ্টিশীল কৰ্মৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাইছে, তাৰ বিচাৰৰ মাজতে আমি উত্তৰ-আধুনিকতাবাদী সৃষ্টিশীল সাহিত্যৰ পৰিচয়ো লাভ কৰিব পাৰিম।

এষাৰ

আমাৰ ভাষাত কৰিব লগীয়া কাম প্ৰচুৰ আছে। ভাষা, সাহিত্য, সাংস্কৃতিক, ইতিহাস আদি অধ্যয়নৰ বিষোৱ নতুন নতুন ক্ষেত্ৰ মুকলি কৰা হৈছে, সেই বিষয়ৰ আনকি পৰিচয় মূলক গ্ৰন্থও প্ৰকাশিত হোৱা নাই। আমাৰ বিশ্ববিদ্যালয় আৰু কলেজৰ শিক্ষকসকল আৰু এনেবোৰ বিষয়ৰ অনুৰাগীসকল আগবাঢ়ি আহিব লাগিব নিষ্ঠাৰে কাম কৰিবলৈ।

অসমত আজি শিক্ষা, সংস্কৃতিৰ জগতত যিখিনি নতুন কাম হৈছে মুখ্যতঃ ৰাজহুৱা যত্নত হৈছে। এনে যত্নই যদি অন্তত বাঞ্ছিত চৰকাৰী সহায় আৰু সহযোগিতা লাভ নকৰে কেনেকৈ কিমান দিন ইবিলাক দান-বৰঙণিৰ ওপৰত ভিত্তি কৰি চলিব? জাতীয় চৰকাৰ এটাৰ অস্তিত্ব ক'ত, যদি এই গুৰুত্বপূৰ্ণ বিষয়বোৰ সম্পৰ্কে নাভাবেও আৰু একো নকৰেও। উদাহৰণ স্বৰূপে,

অসমত সত্রীয়া তথা শংকৰী নৃত্য-গীতৰ চৰ্চা আজি প্ৰায় সকলো ঠাইতে হৈছে ৰাজহুৱা যত্নত। সত্ৰ মহাসভা, শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু গুৱাহাটীৰ সংগীত সত্ৰ আদিয়ে নিজা নিজা পাঠ্যক্ৰমেৰে এই সংগীতৰ শিক্ষাদান কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে 'বি. মিউজ (সত্ৰীয়া)' ৰ পাঁচবছৰীয়া পাঠ্যক্ৰমো যুগুতাই উলিয়াইছে। কিন্তু 'বি. মিউজ'ৰ আগৰ স্তৰটোৰ বাবে যিবিলাক অনুষ্ঠানে শিক্ষাদান কৰি আহিছে তেনে অনুষ্ঠানবিলাকক স্বীকৃতি দিব পৰাকৈ এখন বোৰ্ড বা পৰিষদ ৰাজ্য চৰকাৰে গঠন নকৰিলে এই অনুষ্ঠান সমূহে দান কৰা শিক্ষাৰ স্বীকৃতি কেনেকৈ লাভ হ'ব? চৰকাৰে এই সম্পৰ্কত নানা অজুহাত উলিয়াই বিষয়টো পিছ পেলাই নথৈ এটা ইতিবাচক সিদ্ধান্ত আৰু কাৰ্যব্যৱস্থা গ্ৰহণ কৰক আৰু অসমৰ এই শাস্ত্ৰীয় সংগীতৰ ধাৰাটোক আনুষ্ঠানিক মৰ্যদা দান কৰক। ৰাজ্যিক সংগীত মহাবিদ্যালয়ৰ পাঠ্যক্ৰমখন সত্ৰীয়া সংগীতক শিক্ষাদানৰ মুখ্য বিষয় কৰি লোৱাৰ বাবে, আৱশ্যকীয় সংশোধন কৰি লওক। অন্যান্য ভাৰতীয় শাস্ত্ৰীয় সংগীত শিকিবলৈ অনেক অনুষ্ঠান আছে; এতেকে ৰাজ্য চৰকাৰৰ সংগীত মহাবিদ্যালয়খন অসমৰ শাস্ত্ৰীয় সংগীত শিকিব পৰাকৈ গঢ়ি তোলক। এই ক্ষেত্ৰক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰস্তুত কৰা পাঠক্ৰমখন আধাৰ হ'ব পাৰে। কাৰণ, তাত এহাতে ভাৰতীয় মাৰ্গ নৃত্য-গীত-বাদ্যৰ যিদৰে শিক্ষণীয় বিষয় অৰ্ন্তভুক্ত কৰা হৈছে, তেনেদৰে অসমৰ জনগোষ্ঠীয় নৃত্য-গীত-বাদ্যৰ অধ্যয়নো অৰ্ন্তভুক্ত কৰা হৈছে। আমাৰ এই ধাৰাটোত কেনেকৈ ভাৰতীয় মাৰ্গ-সংগীত আৰু অসমৰ লোক-সংগীতৰ উপাদান মিশ্ৰিত হৈছে, ই এক গভীৰ অধ্যয়নৰো বিষয়।

বাৰ

অসমে যথাৰ্থতে জাতীয় সংস্কৃতিৰ এক পূৰ্ণ বিন্যাসৰ প্ৰয়োজনীয়তাও অনুভৱ কৰিছে। কাৰণ আমাৰ সামাজিক জীৱন, সভ্যতা আৰু সংস্কৃতিত এক অবিৰত পৰিৱৰ্তন নীৰৱে কিন্তু অৱশ্যম্ভাৰী ভাবে ঘটি আছে আৰু ঘটি থাকিব। অথচ তাৰ প্ৰমাণৰ ঘাই সুঁতিটো যদি হেৰাই যায়, তেনেহলে 'জাতীয় সংস্কৃতি' বুলি একো নাথাকিব। সাম্প্ৰতিক কালত ঘটা দ্ৰুত পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত সেইবাবে আমাৰ জাতীয় জীৱনৰ প্ৰতিটো দিশৰে যাতে ঘাই শিপা নষ্ট নহয় তাৰ প্ৰতি বিশেষ চকু দিয়াৰ প্ৰয়োজন হৈ পৰিছে। মই বাৰে বাৰে সেইবাবে আমাৰ শিক্ষা, সাহিত্য, সংস্কৃতি, জীৱন সকলোতে আধুনিক জীৱনৰ উপযোগীকৈ আমাৰ জাতীয় বৈশিষ্ট্য সমূহৰ নৱৰূপ দিয়াৰ ওপৰত গুৰুত্ব দি আহিছোঁ। আমাৰ সামাজিক-সাংস্কৃতিক-নৈতিক মূল্যবোধৰ মাজেদি বৈ থকা প্ৰাণৰ সুঁতিটো চিনি পাব পাৰিলে আমাৰ সৰ্বাধুনিক জীৱনৰ মাজতো আমি আমাক জীয়াই ৰাখিব পাৰিম। কিন্তু কেৱল ক্ষমতাৰ বাবে যুদ্ধ কৰা আমাৰ ৰাজনৈতিক দল বিলাকৰ বা গুৰুত্বপূৰ্ণ স্থানত থকা, কিন্তু জীৱিকাৰ বৃত্তিৰ জখলাৰ শীৰ্ষস্থানৰ লক্ষ্যলৈ কাম কৰা গৰিষ্ঠ সংখ্যক প্ৰশাসনীয় তথা আমোলাৰ কৰ্ণ-কুহৰত এই কথাবোৰ সোমাইছেগৈ বুলি ভাবিব পৰা কোনো লক্ষণ ফুটি উঠা নাই।

যিবোৰ দল বা সংগঠনে অসমীয়া জাতীয়তাবাদৰ কথা কৈছে আৰু অসমীয়া মানুহক ৰক্ষাৰ স্লোগান দিছে, তেনে দল আৰু সংগঠনে এই গুৰুত্বপূৰ্ণ কথাবোৰ হৃদয়ংগম কৰাৰ লক্ষণো ক'তো ফুটি উঠা নাই। আজি সৰ্বত্ৰ দেখা গৈছে- মৌলিক চিন্তাশীল লেখক, বুদ্ধিজীৱী সকলক প্ৰত্যক্ষ বা পৰোক্ষভাবে নিজৰ স্বাৰ্থত খটুৱাব নোৱাৰিলে দল বা সংঘ বিলাক হয় ওচৰ নাচাপে, নহয় তেওঁবিলাকৰ সৎ পৰামৰ্শত মূল্য দিব লাগে বুলিও তেওঁলোকে নাভাবে।

মই ৰাজনৈতিক দল আৰু আমাৰ ৰাষ্ট্ৰখনৰ যুৱৰ আৰু ছাত্ৰশক্তি আৰু উগ্ৰবাদী সংগঠন সমূহক সোঁৱৰাই দিব খোজোঁ— জনসাধাৰণেই তেওঁবিলাকক আজি ভয় কৰে, সৱহ ক্ষেত্ৰতে মনে প্ৰাণে সমৰ্থন নকৰে। কাৰণ ৰাজনৈতিক দলৰ আছে ৰাজনৈতিক ক্ষমতা, ছাত্ৰ আৰু যুৱ শক্তিৰো আছে শক্তি, আৰু উগ্ৰবাদী সংগঠনৰ হাতত আছে মাৰণাস্ত্ৰ। মই অসমৰ ছাত্ৰ আৰু যুৱশক্তিকো সোঁৱৰাই দিব খোজো— আপোনাসকলে নিজৰ সীমা আৰু কৰ্ম ক্ষেত্ৰ চেৰাই গৈ দিয়া আহ্বানে যেতিয়া 'নিৰ্দেশ'ৰ আকাৰ লয়, সাধাৰণ মানুহে বিপদৰ আশংকা কৰি তেনে নিৰ্দেশ মানি চলে। তাৰ অৰ্থ এইটো নহয় যে জনসাধাৰণে তেনে সকলো আহ্বান সমৰ্থন কৰে। মই নিষিদ্ধ অনিষিদ্ধ সকলো সংগঠনকে আহ্বান জনাওঁ - জনসাধাৰণক নিৰ্ভয় মনেৰে নিজৰ মনোভাব প্ৰকাশৰ সুযোগ দিয়ক আৰু আপোনাসকলৰ নিজৰ স্থিতি আৰু কৰ্মসূচী তাৰ পিছত ঠিক কৰক। জনসাধাৰণৰ ওপৰত আপোনালোকৰ ইচ্ছা-অনিচ্ছা জাপি নিদি মুক্তভাবে জনসাধাৰণক মনোভাব প্ৰকাশৰ সুযোগ দিয়ক। জনসাধাৰণক সম্মান কৰিবলৈ শিকক । তেতিয়াহে গম পাব কিমান দূৰলৈকে আপোনালোক গ্ৰহণীয় মনত ৰাখিব। মনত ৰাখিব— সাহিত্য সভাৰ দৰে অনুষ্ঠানৰ কোনো ৰাজনৈতিক স্বাৰ্থ নাই, আকাংক্ষাও নাই। অসমৰ, অসমৰ মানুহৰ, অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ

উন্নয়নৰ স্বাৰ্থই অসম সাহিত সভাৰ স্বাৰ্থ। মানবিকতাবোধ আৰু গণতান্ত্ৰিক মূল্যবোধেই আমাৰ আধাৰ। সেই বাবেই অসমৰ জনসাধাৰণে সংকটৰ সময়ত সাহিত্য সভাৰ দৰে অনুষ্ঠানলৈ চায়—'এওঁবিলাকে কি কয়, কি পৰামৰ্শ দিয়ে' জানিবলৈ। মই জনসাধাৰণৰ এই আস্থা আৰু বিশ্বাস অটুট ৰখাৰ স্বাৰ্থতে সাহিত্য সভাৰ মঞ্চখন যথাৰ্থ সাহিত্যিকৰ মঞ্চ কৰি ৰখাৰ ওপৰত, আৰু এই মঞ্চলৈ হাতমেলা স্বাৰ্থান্ধসকলক দূৰত ৰখাৰ ওপৰত গুৰুত্ব দি আহিছোঁ। মই মৰ্মে মৰ্মে অনুভৱ কৰি আহিছোঁ—এই অনুষ্ঠানটোত ন্যস্ত স্বাৰ্থৰ হাতোৰা মাৰিবলৈ হ'লে অসমৰ মানুহৰ বাবে ধৰণী ধৰিবলৈ ঠাই নোহোৱাৰ দৰে হ'ব।

এই কথাও মই লক্ষ্য কৰি আহিছোঁ অসমৰ জনসাধাৰণ এই অনুষ্ঠানৰ পিছত এখন শক্তিশালী প্ৰাচীৰৰ দৰে থিয় দি থকাৰ বাবেই অনেক সৰু-বৰ শক্তিয়ে সাহিত্য সভাৰ মঞ্চখন নিজৰ প্ৰয়োজনত বিচাৰে। কিন্তু সভাৰ প্ৰয়োজনৰ সময়ত তেওঁবিলাকে এবাৰ মাত মতাৰো আৱশ্যকতা অনুভৱ নকৰে। মই সুধিব খুজিছোঁ— অসম সাহিত্য সভাৰ সভাপতিক কোনো চাৰণ নোহোৱাকৈ সামৰিক বাহিনীৰ লোকে গাড়ীৰপৰ নমাই হাত দাণ্ডিবলৈ বাধ্য কৰোৱাৰ দৰে ঘটনাৰ পিছত, অসম সাহিত্য সভা আৰু জনগোষ্ঠীয় ভাষা-সাহিত্যৰ অনুষ্ঠানৰ লগত আগৰেপৰা জড়িতসকলৰ বাহিৰে, চৰকাৰী-বেচৰকাৰী কোনবোৰ অনুষ্ঠান, দল, সংঘ বা সংস্থাই সৌজন্যসূচক ভাবেও আনকি এযাৰ মাজত মাতিলে? অথচ সাহিত্য সভাই ক'ৰবাত মাত মাতিলেনে নাই সেই বিষয়ে জানিবলৈ অধিক আগ্ৰহী লোকৰ অভাব নাই। আপোনাসকলে জানেনে সময়মতে দান-অনুদান নোপোৱাৰ ফলত সভাই গ্ৰহণ কৰা আঁচনি বাঞ্ছিতভাৱে ৰূপায়ণ কৰা দূৰতে থাকক, কৰ্মচাৰীসকলক বেতন দিব নোৱাৰা অবস্থাৰো সৃষ্টি হৈছে? অনেকে কেৱল সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনত স্থানীয় বাইজে অতি কষ্টেৰে ৰাজাখনৰ চুক-কোণৰপৰা টুকলি আনি ব্যয় কৰা ধনৰ পৰিমাণ চাই সভাক বিচাৰ কৰে। মই দোহাৰিব খোজোঁ—অসম সাহিত্য সভাৰ মুকলি অধিবেশন হ'ল যথাৰ্থতে অসমৰ জাতীয় সাহিত্য উৎসৱহে, ইয়াৰ লগত সভাৰ বছৰটোৰ আঁচনি আৰু কাৰ্যসূচী জড়িত নহয়।

"অসমৰ জনসাধাৰণৰ বিবেকৰ দৰে কাম কৰি যাব পৰাকৈ ৰজাঘৰপ্ৰজাঘৰে সভাক সহায় সহযোগিতা দান কৰক"—ত্ৰিষষ্টিতম্ অধিবেশনৰ এই আহ্বান পুনৰ মই দোহাৰিলোঁ। পুনৰ মই সদৌটিকে আহ্বান জনাওঁ—সভাৰ জাতীয় ন্যাস পুঁজি শক্তিশালী কৰি তোলক। জাতীয় ন্যাস পুঁজিৰ এটা পইচাৰো ইফাল-সিফাল হোৱা নাই; ৩১ ৫ হ'ব নোৱাৰাকৈ স্থায়ী জমা কৰা হৈ গৈছে আছে। এতেকে, সংবাদ মাধ্যমকো মই অনুৰোধ জনাওঁ— যাতে কোনো স্বাৰ্থজড়িত লোকৰ বিভ্ৰান্তিকৰ অপপ্ৰচাৰক ঠাই দি সভাৰ ক্ষতি সাধন নকৰে।

উপসংহাৰ

অসম এক গভীৰ সংকটৰ মাজেদি পাৰ হৈ গৈছে। এনে ভয়ংকৰ অভিজ্ঞতা অসমৰ কোতিয়াও আগতে হোৱা নাছিল। সামাজিক বিচ্ছিন্নতাবাদ, ৰাজনৈতিক বিচ্ছিন্নতাবাদ, উগ্ৰবাদ, সন্ত্ৰাসবাদৰ মাজত আজি সমগ্ৰ ৰাজ্যখন যেন থৰ থৰ কৈ কঁপি আছে। আমি কাৰ হাতৰ ক্ৰীড়নক হৈছোঁ আজি ক'ৰ নোৱাৰা অবস্থা হৈছে। তাৰ মাজত অৰ্থ আৰু ক্ষমতাৰ বাবে হেঙাওপৰা কৰি আৰু দ্বন্দ্ব আৰু সংঘাত সৃষ্টি কৰি বিভিন্ন সৰু-বৰ শক্তিয়ে অৱস্থা কৰি তুলিছে অধিক শোচনীয়। এই অৱস্থাত আন্ধাৰৰ দেৱতা নে পোহৰৰ দেৱতা,— কাক পূজা কৰিম? ব্যক্তিগত, দলীয় বা গোষ্ঠীগত ক্ষুদ্ৰ আৰু সাময়িক লাভৰ বাবে আন্ধাৰৰ দেৱতাক, নে মানুহৰ দেশৰ বৃহত্তৰ আৰু স্থায়ী স্বাৰ্থ ৰক্ষাৰ বাবে পোহৰৰ দেৱতাক? পোহৰৰ দেৱতাক বিচাৰিলৰ বাবে—বাট উলিয়াই দিব লাগিব লেখক, বুদ্ধিজীবী, শিল্পী, সাংবাদিকসকলে। আমাৰ মাজত সাহিত্য-শিল্পৰ ভাৱবস্তু, বিষয়বস্তু, ৰূপবস্তু, আৰু ৰসবস্তু সম্পৰ্কে বৌদ্ধিক স্তৰত মত—পাৰ্থক্য থাকিব পাৰে; কিন্তু বাস্তৱ মানুহৰ মংগলবোধ সম্পৰ্কে কোনো মত—পাৰ্থক্য থাকিব নোৱাৰে। আমি ৰাজ্যখনৰ বিভিন্ন ভাষা, ধৰ্ম, সম্প্ৰদায়ৰ মাজৰ পৰা ওলাই অহা লেখক, শিল্পী, বুদ্ধিজীবী, সাংবাদিকসকল নিজৰ নিজৰ মত পাৰ্থক্য দূৰ কৰি ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থৰ বাবে কিয় একেলগত হ'ব নোৱাৰিম? আহক অসম সাহিত্য সভাৰ মঞ্চখন আপোনাসকলৰ উমৈহতীয়া মঞ্চ কৰি লওঁ কহি। মই অসম সাহিত্য সভাৰ আটাইকেওটা স্তৰত বিভিন্নভাৱে জড়িতসকলক আৱেদন জনাওঁ— আপোনাসকলে অসম সাহিত্য সভাৰ মঞ্চখনত ঠাই উলিয়াই দিয়ক যাতে তাত আমাৰ ৰাজ্যখনৰ বিবেক-স্বৰূপ যথাৰ্থ চিন্তাশীল লেখক, বুদ্ধিজীবীসকলসমৰেত হ'ব পাৰে। এই লেখকসকলক বড়ো নে কাৰ্বি, মিচিং নে ৰাভা, অসমীয়া নে বঙালী, ৰাজস্থানী নে নেপালী, হিন্দু নে মুছলমান—এনেবোৰ বিভাজনেৰে চিনি পাবলৈ যত্ন নকৰিব।

যথার্থ লেখকসকল সকলো মানুহৰ প্ৰতিনিধি। তেওঁবিলাকৰ ঘাই লক্ষ্য বিশেষ মানুহৰ মাজেদিয়েই নিৰ্বিশেষ মানুহৰ হৃদয়-সত্য উন্মোচন কৰা। তেওঁবিলাক আমাৰ সকলোৰে বন্ধু। সেইবাবেই মানুহ যেতিয়া আক্ৰান্ত হয় তেওঁবিলাকৰ হৃদয়ৰপৰাও ৰক্তৰ ক্ষৰণ ঘটে। সেই ৰক্তাক্ত হৃদয়েৰে তেওঁবিলাকে প্ৰেমৰ গীত লিখে— প্ৰেমৰ কবিতা লিখে—গভীৰ মানৱ প্ৰেমৰ কবিতা। তাৰ বাহিৰেতো এজন কবিৰ কোনো অস্ত্ৰ নাই। তেওঁ মানুহৰ বিবেকক জগাই তুলিব খোজে— মানুহৰ ভিতৰৰ মানুহটোৰ কাণত পুৰাৰ জাগৰণৰ গীত গাই টোপনি ভাঙিবলৈ যত্ন কৰে। সঁচাকৈয়ে তেওঁৰ হাতত আন একো সম্বল নাই। তথাপি আমি তেওঁবিলাকলৈ বাট চাই থাকোঁ—সমগ্ৰ পৃথিৱীৰ মানুহে বাট চাই থাকে। ৰজা আহিব আৰু যাব, তেওঁবিলাক সদায় থাকিব।

মই জানো, মানুহৰ ক্ষমতা য'ত শেষ হয় তাতেই প্ৰাৰ্থনাৰ আৰম্ভণি হয়। তথাপি আমি সুদিনৰ বাবে প্ৰাৰ্থনা কৰোঁ।

সৰ্বে সুখনি ভৱন্তু
সৰ্বে সন্তু নিৰাময়াঃ।
সৰ্বে ভদ্ৰানি পশ্যন্তু
মা কশ্চিৎ দুঃখভাগভৱেৎ।

প্ৰাৰ্থনাৰ বাহিৰে মোৰো একো সমল নাই। হীৰেণ ভট্টাচাৰ্যৰ কাপৰ পৰা বুটলি আনি ক'বৰ মন গৈছে—

"তুমিতো জানাই
এই কবিৰ আৰু একো নাই।
এটাই মাত্ৰ কামিজ
তাৰো ছিগো ছিগো চিলাই।"

আপোনাসকলক প্ৰণিপাত জনাই সংবলন ঋষিৰ মন্ত্ৰ উচ্চাৰণ কৰোঁ—

সং গচ্ছিধং সং বদধ্বং
সং বো মনাংসি জানতাম্"।

"তোমালোকে সকলো মিলিত হোৱা, সমস্বৰে স্তুৰ উচ্চাৰণ কৰা তোমালোকৰ মন এক হওক।"

এয়ে আমাৰ সকলোৰে আদেশ হওক, উপদেশ হওক আৰু অনুশাসন হওক।

-- * --

পঞ্চ ষষ্ঠিতম অধিবেশন

হাজো ঃ ১৯ ফেব্রুৱাৰী ১৯৯৯ খ্ৰীঃ

চন্দ্রপ্রসাদ শইকীয়া

অসম সাহিত্য সভাৰ বিদায়ী সভাপতি প্রথিতযশা সাহিত্যিক শ্রদ্ধেয় ডঁ নগেন শইকীয়াদেৱ, এই অধিবেশনৰ উদ্বোধক সর্বভাৰতীয় খ্যাতিসম্পন্ন কবি মাননীয় শ্রীঅশোক বাজপেয়ীদেৱ, এই অধিবেশনৰ মুখ্য অতিথি বিখ্যাত সাহিত্যিক শ্রীহোমেন বৰগোহাঞিদেৱ, সাহিত্য সভাৰ পৰম শ্রদ্ধেয় প্রাক্তন সভাপতিসকল, অভ্যর্থনা সমিতিৰ মাননীয় সভাপতি ডাঙৰীয়া, অভ্যর্থনা সমিতিৰ শ্রদ্ধেয় বিষয়ৱবীয়াসকল, মাননীয় প্রতিনিধিসকল, অসমৰ ভাষা-সংস্কৃতি সমৃদ্ধ কৰা সাহিত্যিকসকল আৰু অসমৰ বিভিন্ন প্রান্তৰ পৰা আহি ইয়াত সমবেত হোৱা সাহিত্যপ্রেমী ৰাইজ। অসমৰ জাতীয় জীৱনৰ মহৎ সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান, চাৰিকুৰি দুবছৰৰ পূর্বতে কেইজনমান মহাপ্রাণ অসমীয়াই প্রতিষ্ঠা কৰা অসমৰ মানুহৰ অতি আপোন অসম সাহিত্য সভাৰ পঞ্চ-ষষ্ঠিতম্ অধিবেশনৰ সভাপতিৰ পদত অধিষ্ঠিত হৈ মোৰ জীৱন ধন্য হৈছে। মই প্রভূতভাবে অনুগৃহীত হৈছো। মোৰ সশ্রদ্ধ প্রণাম আপোনালোকে গ্রহণ কৰক।

সমবেত চিৰ চেনেহী ভাষা জননীৰ একান্ত সেৱকসকল, মোৰ ওপৰত অর্পিত এই ৩৭ দায়িত্ব বহন কৰাৰ ক্ষমতা মোৰ নাই। অসমৰ যিসকল অমৰ সাহিত্যিক আৰু ভাষা-জননীৰ সন্তানে সাহিত্য সভাৰ সভাপতিৰ যিখন আসন একালত সম্মানিত কৰিছিল, সেইখন আসনত উপবিষ্ট হোৱাৰ যোগ্যতা মোৰ নাই। এই বিষয়ে মই সম্পূর্ণ সজাগ। তথাপি এই গুৰুভাৰ যথাশক্তিৰে পালন কৰিবলৈ মই প্রতিজ্ঞাবদ্ধ। কাৰণ চিৰ চেনেহী ভাষা-জননীৰ প্রকৃতভাবে সেৱা কৰিব পাৰিলে মোৰ জীৱন পৰিপূর্ণৰূপে সার্থক হ'ব। এই ক্ষেত্রত মই আপোনালোকৰ ঐকান্তিক সহযোগ আৰু অনুপ্রেৰণা লাভ কৰিব পাৰিম বুলি আশা কৰিছোঁ। যিসকল মহাপ্রাণ লোকে অসম ৰাজ্যৰ জাতীয় জীৱন আৰু ভাষা-সাহিত্য সমৃদ্ধ কৰিবৰ বাবে এই সাহিত্য সভা প্রতিষ্ঠা কৰিছিল, তেওঁলোকৰ মহাপৰিত্র স্মৃতিৰ উদ্দেশ্যে মই সহস্র প্রণাম নিবেদন কৰিলো।

আমি পঞ্চতীর্থ নামেৰে খ্যাত যি হাজোৰ পৰিত্র ভূমিত সমবেত হৈছো, এই স্থানৰ মহত্ত্ব বৈষ্ণৱ গুৰু অনন্ত কন্দলিৰ এটা পদৰ মাজেৰে উদ্ভাসিত হৈ উঠে ঃ

হাজো হেন নাম পৰিত্র উত্তম
থান কামৰূপ মাজে।
মণিকূট গিৰি শিখৰত আছে
হয়গ্রীব দেৱৰাজে।।

এই স্থান বন্দিত সামাজিক, ধর্মীয় আৰু সাম্প্রদায়িক ঐক্য-সম্প্রীতি-মানৱতাবোধৰ পীঠভূমিৰূপে। হিন্দু, মুছলমান আৰু বৌদ্ধ এই তিনি ধর্মীয় সম্প্রদায়ৰ মিলনৰ গৌৰৱেৰে এই ভূমিৰ ইতিহাস ঐশ্বর্যমণ্ডিত। ইতিহাসৰ বিভিন্ন কালত এই স্থান বিভিন্ন নামেৰে জনাজাত আছিল। কোঁচৰ ৰাজত্ব কালত হাজো কোঁচহাজো নামে প্রখ্যাত আছিল। মোগলৰ ৰাজত্ব কালত এই নগৰ খ্যাত হৈছিল চুকাবাদ বা চুজানগৰ বুলি। তিব্বত, নেপাল, ভূটানৰ লামাসকলে বুদ্ধহাজো নামেৰে বন্দনা কৰিছিল এই পৰিত্র স্থানক। হয়গ্রীব মন্দিৰৰ প্রতি দেশৰ অনেক লোক আকর্ষিত হয়। পোৱামক্কা ইছলামধর্মী লোকৰ চিৰ পৰিত্র তীর্থ।

এই পবিত্র স্থান দর্শন কবিবলৈ সকলো জাতি আৰু ধর্মৰ লোকৰ সমাগম ঘটে। সমগ্র উত্তৰ-পূর্বাঞ্চলত ইছলামৰ ধর্মদর্শন প্রসাৰৰ ক্ষেত্রত পোৱামক্কাৰ অৱদান অভূতপূর্ব। সাহিত্য-সংস্কৃতিৰ ক্ষেত্রতো হাজোৰ অৱদান অবিস্মৰণীয়।

এনে এক পবিত্র স্থানত আমি চিৰ চেনেহী ভাষা জননীৰ বন্দনা কৰিবৰ বাবে আজি সমবেত হৈছো। এই স্থানৰ মহত্বই, আধ্যাত্মিক আৰু মানসিক শক্তিয়ে আমাক যে আমাৰ ব্রতত ব্রতী হ'বৰ বাবে প্রভূতভাবে অনুপ্রণিত কৰিব, সেই বিষয়ে মই নিশ্চিত।

এক

১৯১৭ চনত অসম সাহিত্য সভা প্রতিষ্ঠিত হৈছিল যদিও তাৰ বহু আগতে সেই অনুষ্ঠান প্রতিষ্ঠাৰ আয়োজন চলিছিল। শংকৰদেৱ-মাধৱদেৱৰ আৰু কথাগুৰু চৰিতৰ সর্বব্যাপী প্রভাৱৰ পৰা ওলাই অহাটো সহজ কথা নহয়। কিন্তু শংকৰ-মাধৱৰ মহত্ত্বৰ মাজৰ পৰাই ওলাই আহিব লাগিব নতুন সাহিত্যৰ সুৰ। নহ'লে আধুনিক অসমীয়া সাহিত্য প্রতিষ্ঠা নহয়। সাহিত্যত নতুন চিন্তা আৰু সুৰৰ প্রবেশ নঘটিলে সেই সাহিত্যৰ গতি প্রতিষ্ঠা স্তব্ধ হৈ যায়। প্রবহমানতা হ'ল সাহিত্যৰ মূল সম্পদ।

শ্রীমন্ত শংকৰদেৱক সর্বশ্রেষ্ঠ গুৰুৰূপে বন্দনা কৰা লক্ষ্মীনাথ বেজবৰুৱাই শংকৰদেৱক নামঘৰৰ বাহিৰতো প্রতিষ্ঠা কৰিলে। তেওঁক নতুন দৃষ্টিৰে অবলোকন কৰাৰ প্রাসঙ্গিকতা সেই পটভূমিত অপৰিহার্য হৈ পৰিছিল। কলিকতাৰ কলেজত পঢ়িবলৈ যোৱা সেই তিনিজন যুৱক, লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা আৰু হেমচন্দ্র গোস্বামীয়ে আধুনিক অসমীয়া সাহিত্যৰ প্রতিষ্ঠাত ব্রতী হোৱাৰ কাহিনী শুনি আমি পৰম আনন্দত উদ্বেলিত হওঁ। বঙ্গদেশত তেতিয়া প্রখৰ সূর্য ৰবীন্দ্রনাথৰ অনন্ত প্রভাৱ। সেই তিনিজন যুৱক ইংলণ্ডৰ ৰোমাণ্টিক যুগৰ কবি ৱর্ডছৱর্থ, শ্যেলী, কীটছ, বায়ৰণৰ প্রভাৱতো পৰিছিল। কিন্তু সেই দুই বিশাল সংস্কৃতিৰ সম্মুখত সেই তিনিজন যুৱকৰ সত্তা জাগৰিত হ'ল ঃ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্রতি তেওঁলোক হ'ল দায়বদ্ধ। সেই দায়বদ্ধতা অসমৰ সাহিত্যৰ এক আলোকসন্ধানী অধ্যায়। 'জোনাকী' আলোচনী হ'ল সেই দায়বদ্ধতাৰে এক যুগান্তকাৰী ফলশ্রুতি। 'জোনাকী' প্রকাশ কৰি তেওঁলোকে অসমীয়া ভাষা-সাহিত্যক নিজৰ জীৱনৰ সমার্থক কৰিবলৈ অসমীয়া লিখকক দায়বদ্ধ কৰিলে। তেনে কেইজনমান সাধক অসমীয়াৰ জীৱনজোৰা সাধনাৰ ফলতে অসম সাহিত্য সভাৰ এদিন জন্ম হয়। কেইবছৰমানৰ ভিতৰতে সেই সভা অসমৰ মানুহৰ জীৱনৰ স্রোতৰ লগত মিলি গ'ল।[৩]

১৯১৭ চনত পদ্মনাথ গোহাঞিৰুৱৰুৱাৰ সভাপতিত্বত বহা "অসম সাহিত্য সম্মিলন" ১৯২৪ চনত "অসম সাহিত্য সভা"লৈ ৰূপান্তৰিত হয়। সেইখন সভাৰে সভাপতিত্ব কৰিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই। 'আসাম' নামৰ ঠাইত 'অসম' নামৰ প্রচলনে এইটোকে প্রমাণ কৰে যে সাহিত্য সভাই কেৱল অসমীয়া ভাষা-সাহিত্যৰে নহয়, অসমৰ সকলো ভাষা-সাহিত্যৰ উন্নতিৰ হকে নিজক ব্রতী কৰিব। স্বাধীনতাৰ পূর্বতে এই সভাৰ সভাপতিসকলক জাতীয় নেতাৰ মর্যাদা দিয়া হৈছিল। তেওঁলোকৰ ভালেমানে স্বাধীনতা আন্দোলনত যোগ নিদিয়াকৈয়ে জাতীয় নেতাৰ আসনত উপবিষ্ট হৈছিল।

প্রতিজন সত্যান্বেষী সাহিত্যিকেই প্রকৃতার্থত এজন শ্রেষ্ঠ দেশপ্রেমিক। তেওঁ দেশৰ মানুহ-সংস্কৃতি-ভাষা-প্রকৃতি-পৰম্পৰাৰ পৰাই সাহিত্যৰ সমল সংগ্রহ কৰি তাকেই অধিক সংস্কৃত কৰি সেই মানুহকে দান কৰি যায়। তেওঁলোকৰ মনত উদ্ভাসিত হৈ থাকে ৰামচন্দ্রৰ সেই অমৃত উক্তি ঃ জননী জন্মভূমিশ্চ স্বর্গাদপি গৰীয়সী। জন্মভূমি স্বর্গতকৈয়ো গৰীয়সী, এই কথাই দেশমাতৃৰ প্রতিজন সন্তানকে অনুপ্রাণিত কৰে।

অসমৰ সেইসকল মহাপ্রাণৰ জীৱনজোৰা কৃচ্ছ্রসাধনাৰে অসম সাহিত্য সভাই লাভ কৰিলে এক শাশ্বত দর্শন ঃ এই অনুষ্ঠানে অসমৰ অজস্র মানুহক আশা দিলে, ভাষা দিলে, জীৱনীশক্তি দান কৰিলে। সাহিত্য সভা পৰিণত হ'ল অসমৰ মানুহৰ শ্বাস-প্রশ্বাসত। সভাৰ অধিবেশনস্থলীক জ্ঞান কৰা হ'ল তীর্থস্থান।

লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা কোৱা এইখিনি কথা আমি কেতিয়াও পাহৰিব নোৱাৰো ঃ "বহুত দিনৰ আগেয়ে সেই এমুঠি কলিকতীয়া অসমীয়া ছাতৰে অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ যি প্রথম বীজ পুতিছিল কোনে ভাবিছিল তেতিয়া যে সেই বীজেই একোজোপা প্রকাণ্ড বৰগছ হৈ শান্তিৰ শীতল ছাঁৰে গোটেই অসম আৰৰি ধৰিব কোনোবাই তেতিয়া কল্পনাও কৰিব পাৰিছিল নে যে কেতিয়াবা এই অসমতে আমি সকলো একলগ হৈ এইদৰে এখন মহতি

সভা পাতি মাতৃমন্দিৰত পুষ্পাঞ্জলি দিব পাৰিম। কিন্তু আজি কি দেখিছো? দেখিছো সেই পঢ়াশালিৰ ছাতৰৰ দুৰ্বল ডিঙিৰ পৰা ওলোৱা সেই দুৰ্বল মাত, সেই ক্ষীণ কণ্ঠস্বৰ লাহে লাহে ডাঙৰ, সবল আৰু শকত হৈ আজি গোটেই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰতিধ্বনিত কৰিছে। আজি পূবৰ পৰা পশ্চিমলৈকে, উত্তৰৰ পৰা দক্ষিণলৈকে গোটেই অসমে একেলগে সেই মাকৰ লগত মাত মিলাই গভীৰ উদাত্ত সুৰেৰে মাতৃভাষাৰ আৰতি কৰিছে।ষোড়শোপচাৰে মাতৃ পূজাৰ আয়োজন কৰিছে। বন্ধুসকল! আহক আজিৰ এই আনন্দৰ দিনত, এই ৰসৰ মেলাত, এই আয়োজনত আমাৰ যথাসাধ্য শক্তি স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ কাৰণে, নিজৰ ভাই-ভনীৰ মঙ্গলৰ কাৰণে, মাতৃভাষাৰ সেৱাৰ কাৰণে, উছৰ্গা কৰি ইহ জনম সম্ফল কৰি আমাৰ জীৱন ধন্য কৰোহঁক।"

সাহিত্য সভাৰ জীৱনীশক্তিৰ লগত বেজবৰুৱাৰ সেই আহ্বান একাকাৰ হৈ আছে। সাহিত্য সভাৰ সেই মেলা ৰূপান্তৰিত হ'ল ৰসৰ মেলালৈ : সেই ৰস হ'ল সাহিত্য-সংস্কৃতি সৃষ্টিৰ নান্দনিক ৰস : সেই ৰসৰ মাধুৰ্যৰে সাহিত্যই অবিনশ্বৰতা লাভ কৰে।

বিৰাশী বছৰ অতিক্ৰম কৰাৰ পিছত আজি অসম সাহিত্য সভাৰ প্ৰকৃত চৰিত্ৰ বিশ্লেষণ কৰাৰ সময় হৈছে। এই জাতীয় অনুষ্ঠানটি বিখ্যাত হৈ থাকিব তাৰ ঐতিহ্যমণ্ডিত অতীতৰ বাবে, নে বৰ্তমান সময়তো ইয়াক অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ এক অপৰিমেয় শক্তিৰ বাহকৰূপে প্ৰতিষ্ঠিত কৰিব পৰা হ'ব? এই সিদ্ধান্তৰ ওপৰত এই অনুষ্ঠানৰ ভবিষ্যৎ নিৰ্ভৰ কৰিছে।

সাহিত্য সভাক সুদীৰ্ঘকাল আপোন জ্ঞান কৰা অসমৰ অজস্ৰ লোকৰ সেই বিশাল ক্ষমতাক এক সৃষ্টিৰ অপৰিমেয় শক্তিত পৰিণত কৰাৰ সময় হ'ল। ভাৰতৰ কোনো ৰাজ্যতে সাহিত্য সভাক ইমান বিপুল সংখ্যক লোকে আপোন বুলি নেভাবে। সাহিত্য আৰু সংস্কৃতিৰ বিশাল শক্তিৰে সৰ্বগ্ৰাসী স্খলনৰ সম্মুখত সৃষ্টিৰ অপৰিমেয় শক্তিৰে অসমৰ মানুহক জাগ্ৰত কৰিব লাগিব। এই বিশাল অনুষ্ঠানটো বাহিৰৰ পৰা প্ৰায় কঠোৰ সমালোচনাৰ সম্মুখীন হয়। সেইটো অতি স্বাভাৱিক। সমালোচনা যিমানে কঠিন হ'ব, সিমানে সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান এটা সবল হ'ব লাগিব। সাহিত্য সভাৰ পৰা যি বিপুল পৰিমাণৰ সৃষ্টিৰ ৰৰঙণি মানুহে পাব বুলি ভাবে সিমান নোপোৱাৰ বাবে সমালোচনা তীব্ৰ হৈ পৰে। তেনে কঠোৰ সমালোচনাই তেনে সমালোচকৰ লগতো সাহিত্য সভাৰ সম্পৰ্ক সহজ নকৰাকৈ নাথাকে। আমি সেই প্ৰমিথ্যুচৰ কথা পাহৰিব নেলাগিব। ককেছাছ পাহাৰৰ প্ৰস্তৰখণ্ডত বন্দী প্ৰমিথ্যুচক সেই শেনটোৱে তাৰ ঠোঁটেৰে বাৰে বাৰে যিমানে আঘাত কৰে সিমানে তেওঁৰ মানসিক শক্তি তীব্ৰতৰ হৈ উঠে। তেনে শক্তিৰ অধিকাৰী সাহিত্য সভা হ'ব লাগিব। কিন্তু সাহিত্য সভা কেতিয়াও তাৰ ভিতৰৰ সৰ্বনাশী সমালোচনাৰ বলি হ'ব নেলাগিব। সৃষ্টিৰ ৰসেৰে উদ্বেলিত সাহিত্য সভাৰ সদস্যসকলৰ সম্পৰ্ক প্ৰগাঢ় হ'ব লাগিব।

দুই

অসমৰ মানুহৰ নিজৰ স্মৃতি, সত্তা আৰু ইতিবৃত্তৰ পুনৰুত্থানৰ বাবেই মহাপুৰুষ শঙ্কৰদেৱক পুনৰাবিষ্কাৰ কৰিব লাগিব। মহাপুৰুষজনাৰ পাঁচশ পঞ্চাশ বছৰীয়া জন্মোৎসৱৰ এই বছৰত সেই দুৰ্লভ ভাগ্যৰ অধিকাৰী হোৱাৰ ক্ষমতা আমাৰ সকলোৰে আছে বুলি আমাৰ বিশ্বাস দৃঢ়। কি যুগান্তকাৰী প্ৰতিভাৰ বলত তেওঁ বিক্ষিপ্ত আৰু অনৈক্যত নিমজ্জিত এখন সমাজক দৰ্শন-জ্ঞান-অৰ্থ আৰু আত্মোপলব্ধিৰ মহাশক্তিৰে উদ্বুদ্ধ কৰিলে, সেই ক্ষমতাৰ পুনৰুত্থান আমাৰ বাবে হৈ পৰিছে আজি অপৰিহাৰ্য।

শঙ্কৰদেৱ অসমৰ সৰ্বকালৰ মহত্তম ব্যক্তি। তেওঁৰ বিশাল ৰচনাৰাশিৰ ভাষা, কাব্য আৰু ব্যঞ্জনা সমগ্ৰ অসমৰ জাতীয় জীৱনৰ মহাস্ৰোতত পৰিণত হ'ল। তেওঁৰ ৰচনাৰাশি আমাৰ সভ্যতা-সংস্কৃতি-পৰম্পৰাৰ সৰ্বশ্ৰেষ্ঠ সম্পদ। ইংৰাজী সাহিত্যৰ বিমুগ্ধ পাঠকৰ বাবে যেই'পীয়েৰৰ যি অনতিক্ৰমণীয় আবেদন, জাৰ্মানীত মহাকবি গ্যেটেৰ বিঅৰিনষ্কৰ প্ৰভাৱ, ৰাছিয়াত টলষ্টয়ৰ যি সৰ্বব্যাপী প্ৰভাৱ, বঙ্গদেশত ৰবীন্দ্ৰনাথৰ কবিতাৰ যি মহা আবেদন, সমগ্ৰ পৃথিবীৰ সংগীতপ্ৰেমীৰ বাবে বিটোফেনৰ আৰু চিত্ৰশিল্প ৰসজ্ঞৰ বাবে লিয়নার্ড-ডা-ভিঞ্চিৰ যি চিৰ অম্লান আবেদন, ঠিক তেনেকৈয়ে অসমবাসীৰ বাবে শঙ্কৰদেৱ এক বিশাল আধ্যাত্মিক আৰু মানসিক শক্তি। আধুনিক যুগৰ নিগনিচঞ্চল জীৱনৰ ঘাত-প্ৰতিঘাতত আমি যদিও আজি অতিষ্ঠ, ৰাজনীতিৰ মূল্যবোধহীনতা আৰু প্ৰদূষণৰ পৰিণামত আমাৰ জীৱন বিপন্ন যদিও, আমাৰ স্মৃতি, সত্তা, ভবিষ্যৎ আৰু স্বয়ং শঙ্কৰদেৱ একাকাৰ হৈ আছে। দিনটোৰ এনে এটা প্ৰহৰ অতিবাহিত নহয় যেতিয়া মহাপুৰুষৰ কীৰ্তন-ভাগৱত-ৰবগীতৰ একোটা

পদ আৰু সুৰে আমাৰ মন আলোড়িত নকৰাকৈ থাকে। কোনো এটা দিনৰ এটা প্ৰহৰ অতিবাহিত নহয় যেতিয়া সমগ্ৰ অসমৰ কোনো এটা নামঘৰত, মানুহৰ ঘৰত শঙ্কৰদেৱৰ পদ কীৰ্ত্তন আৰু শ্ৰৱণ কৰি মানুহ পৰমানন্দত আপ্লুত নোহোৱাকৈ থাকে।

এই কথা আমি সৰ্বদায় মনত ৰাখিব লাগিব যে শঙ্কৰদেৱ এগৰাকী বিদগ্ধ সংস্কৃত পণ্ডিত আছিল। সংস্কৃততে তেওঁ নিজৰ ৰচনা লিপিবদ্ধ কৰি থকা হ'লে তেওঁ সৰ্বভাৰতীয় পৰ্যায়ৰ এজন মহান সংস্কৃত পণ্ডিত হ'ব পাৰিলেহেঁতেন। তাকে নকৰি তেওঁ অসমৰ তৃণমূল লোকৰ ভাষা গ্ৰহণ কৰিলে, সেই তাৎপৰ্য ভালদৰে উপলব্ধি কৰিব পাৰিলেই তেওঁ অসমৰ সকলো কালৰ মহত্তম ব্যক্তিৰূপে বন্দিত হোৱাৰ তাৎপৰ্য আমি অনুধাৱন কৰিব পাৰিম।

পৃথিৱীৰ সকলো সত্যান্বেষী বিখ্যাত সাহিত্যিকেই মানুহক ভাল পায় : মানুহৰ জীৱন-সংস্কৃতি, মাটি-পানী-বায়ুৰ লগত একাকাৰ হৈ তেওঁলোকে তাৰ পৰাই সাহিত্যৰ সমল লৈ তাকেই অধিক সংস্কৃত আৰু সুন্দৰ কৰি সেই মানুহকে দান কৰি যায় নিজৰ দেশৰ, জাতিৰ মানুহৰ সীমা অতিক্ৰমি তেওঁলোকে বিশ্বমানৱৰ লগত একান্ত বোধ কৰে। শঙ্কৰদেৱ অসমৰ বিপন্ন মানুহৰ প্ৰতি দায়বদ্ধ হ'ল। অসমৰ মানুহক মুক্তিৰ চেতনাৰে উদ্বুদ্ধ কৰি সৰ্ব-ভাৰতীয় দৰ্শন-সংস্কৃতিৰ লগত মিলাবলৈ তেওঁ কৰিলে কৃচ্ছ্ৰসাধনা। তেওঁ যিখন সমাজৰ সন্তান সেই সমাজ আছিল বিক্ষিপ্ত : সেই বিনাশী সমাজৰ প্ৰকৃত ৰূপ তেওঁ দেখা পালে। চাৰিওফালে ব্যাপক শক্তিৰ আৰাধনা। শাৰীৰিক শক্তি আৰু পার্থিব মোহত মানুহ হৈ পৰিছিল অন্ধ। চাৰিওফালে যাগ-যজ্ঞ-পূজাৰ বিপুল পয়োভৰ। বাল্মিকীৰ মূল ৰামায়ণত দুৰ্গা পূজাৰ কথা নথকা স্বত্ত্বেও সমগ্ৰ অসমত দেৱীৰ পূজা ব্যাপক হৈ পৰিছিল।

অসমৰ শক্তিধর্মৰ দুয়োখন প্ৰধান পুথি কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰই ঘোৰ শক্তি মতৰ সমর্থন কৰিছিল। কালিকাপুৰাণে সমর্থন কৰিছিল নৰবলিক। তাম্ৰেশ্বৰী মন্দিৰত প্ৰায়ে নৰবলি সংঘটিত হৈছিল। অনেক মানুহ আছিল জড়ো উপাসক সেইসকলে মেঘ, নৈ, ভঁৰাল আৰু খেৰৰ পুঁজি পূজা কৰিছিল। সমগ্ৰ অসম দেশ যাদু-মন্ত্ৰেৰে আচ্ছন্ন হৈ পৰিছিল। পৰিণামত তৃণমূল পর্যায়ৰ সাধাৰণ মানুহ নির্মম দেৱতা আৰু স্বার্থান্বেষী বাজীকৰৰ বলি হ'বলগীয়া হৈছিল। বাহিৰা পৃথিৱীৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ অসম ৰাজ্য এক ঘোৰ অন্ধকাৰত বন্দী হৈ আছিল।

সেই সমাজক ভক্তিৰসৰ মাধুর্যৰে ঐক্যবদ্ধ কৰি শক্তিপূজাৰ গ্ৰাসৰপৰা উদ্ধাৰ কৰাৰ দায়িত্ব গ্ৰহণ কৰিলে শঙ্কৰদেৱে সংস্কৃত ভাষা-সাহিত্যৰ অগাধ পণ্ডিত হৈয়ো বৈষ্ণৱ পণ্ডিতসকলৰ অসমৰ মানুহৰ প্ৰতি, তৃণমূল মানুহৰ ভাষাৰ প্ৰতি অপৰিসীম দায়বদ্ধতা আৰু মমতা নোহোৱা হ'লে তেওঁলোকে সেই যুগান্তকাৰী পদৰাশি অসমীয়াত ৰচনা নকৰিলেহেঁতেন। অনন্ত কন্দলিৰ এইখিনি কথা আমি কোনোকালে পাহৰিব নোৱাৰো : "শ্লোক সংস্কৃতে আমি লিখিবাক ভাল জানি। তথাপি কৰিলো পদবন্ধ/ শ্লোকৰ অর্থক প্ৰাকৃতে নুবুজে পণ্ডিতে নকৰে যাচি/ এতেকেসে ৰাম কথা বিৰচিলো ভকতিৰ তত্ত্ব বাছি।" অসমৰ সাধাৰণ মানুহে শ্লোকৰ অর্থ নুবুজে : এই কথাই সেই গুৰুসকলক অসমীয়াৰ প্ৰতি দায়বদ্ধ হ'বলৈ অনুপ্ৰাণিত কৰিলে। তেওঁলোকৰ তেনে ত্যাগ অসমৰ জাতীয় জীৱনৰ শ্ৰেষ্ঠ সম্পদ। অসমৰ মানুহক ভূমিৰ পৰা ভূমাৰ স্পর্শলৈ উত্তৰণ ঘটাবলৈ তেওঁলোক দায়বদ্ধ।

মহৎ সাহিত্যৰ আৱেদন হ'ল , মানুহক হিংসা-বিদ্বেষ-কামভাৱৰ সর্বব্যাপী প্ৰভাৱৰ পৰা আঁতৰাই মানুহক মোহমুক্ত, আসক্তিশূন্য, শান্ত সমাহিত কৰা। মহৎ লিখকে ভাল আৰু বেয়া দুয়ো দিশকে নিজৰ ৰচনাত বিবৃত কৰে : সেইটো হ'ল সাহিত্যৰ সত্য। কিন্তু ৰচনাৰ শেষত মানুহক শান্ত আৰু সমাহিত কৰাটো তেওঁলোকৰ সৃষ্টিৰ লক্ষ্য।

শঙ্কৰদেৱৰ ৰচনাৰ সেই মুক্তি-চেতনাৰ কাহিনীয়ে আজিও আমাক বাৰে বাৰে উদ্বুদ্ধ কৰে। আমি যে শেষহীন বান্ধোনৰ মাজত আবদ্ধ হৈ আছোঁ, তাৰ পৰা মুক্তিৰ বাবে শঙ্কৰদেৱৰ সেই মুক্তি-চেতনাৰ বাণীয়ে আমাক উদ্ভাসিত কৰে। শূদ্ৰ আৰু নাৰীয়ে শাস্ত্ৰ অধ্যয়ন কৰিব নোৱাৰে, সেই বান্ধোনৰ পৰা তেওঁ মানুহক মুক্ত কৰিলে। অজামিলোপাখ্যানত যৌনাশ্ৰয়ী অজামিলক পাপ আৰু যৌনতাৰ গ্ৰাসৰ পৰা মুক্ত কৰা হৈছে। প্ৰহ্লাদ চৰিত্ৰত হিৰণ্যকশিপুৰ ভয়ঙ্কৰ ৰূপৰ বিপৰীতে প্ৰহ্লাদৰ প্ৰশান্ত মনোৰম ৰূপ মহিমামণ্ডিত হৈছে। হৰমোহনত মোহিনীৰূপী কৃষ্ণই শিৱৰ অহঙ্কাৰ চূর্ণ কৰিছে। কংস আৰু জৰাসন্ধৰ দৰে অসুৰৰ পৰাজয় ঘটিছে।

শঙ্কৰী সাহিত্যৰ পণ্ডিতসকলে দেখুৱাইছে শঙ্কৰদেৱে মূল সংস্কৃতৰ ভাগৱত মহা পুৰাণৰ পৰা শতকৰা এশ ভাগ অসমীয়ালৈ অনুবাদ কৰা নাই। যেতিয়াই তেওঁ অসমৰ মানুহ-প্ৰকৃতিৰ কথা লিখিবলৈ ধৰে তেতিয়াই তেওঁ মূল সংস্কৃতৰপৰা বহুত আঁতৰি আহে। "ভাগৱতোক্ত (দ্বিতীয় স্কন্ধ) জাতি পৰিচয়টিৰ অনুবাদ কৰোতে শুদ্ধজনে নিজাববীয়াকৈ কিছুমান নামৰ উল্লেখ কৰিছে। যেনে ঃ কিৰাত, কঙ্কী, খাচি, গাৰো, মিৰি, যৱক, কঙ্ক, গোৱাল, অসম মুলুক, ধোৱা, তুৰুক, কুবাচ, ম্লেচ্ছ, চণ্ডাল ইত্যাদি পোন্ধৰটি অনুন্নত জাতিৰ নাম আছে। ভাগৱতৰ নটি জাতিৰ বিপৰীতে পোন্ধৰটি জাতিৰ নাম উল্লেখ কৰি অসমৰ থলুৱা কিছুমান অৱহেলিত নিস্পেষিত, অনুন্নত, বহির্জগতৰ লগত অপৰিচিত, পাহাৰীয়ালোকক বুজাবলৈ চেষ্টা কৰিছে।" (শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী, 'গৰীয়সী' ছেপ্তেম্বৰ সংখ্যা, ১৯৯৮)।

শঙ্কৰদেৱে ভাগৱত মহাপুৰাণৰ কঠিন অনুবাদৰ উপৰিও তৃণমূল মানুহৰ জীৱনৰ পৰা অহা গীত আৰু ভাওনাৰ ওপৰত গুৰুত্ব দিছিল। কাৰণ গীত আৰু ভাওনাই অশিক্ষিত মানুহক প্ৰবলভাবে প্ৰভাৱিত কৰে। এটা জাতি যেতিয়াই সহাসঙ্কটৰ সম্মুখীন হয়, তেতিয়াই মানুহক তেনে সঙ্কটৰ পৰা উদ্ধাৰৰ বাবে গীত আৰু নাট্যাভিনয়ৰ আশ্ৰয় লোৱা হয়। আমাৰ দেশৰ স্বাধীনতা আন্দোলনৰ সময়ত গীতৰ আবেদন আছিল অতীৱ।

শঙ্কৰদেৱ আৰু লগতে মাধৱদেৱৰ ৰচনাৰাশি আজি আমি একান্তভাবে অধ্যয়ন কৰাৰ প্ৰয়োজন হৈছে। সেই ৰচনাৰ মাজত আমি পাওঁ এখন বিক্ষিপ্ত সমাজক অন্ধবিশ্বাস আৰু ধৰ্মৰ গোড়ামিৰ পৰা ৰক্ষা কৰাৰ আধ্যাত্মিক আৰু মানসিক আদৰ্শ। এই কথা সত্য, শঙ্কৰদেৱৰ পদ-কীৰ্তনে আজি সন্ত্ৰাসজৰ্জৰিত অসমক উদ্ধাৰ নকৰে। তেনেকৈ শেই'পীয়েৰৰ ৰচনা, ৰবীন্দ্ৰনাথৰ কবিতা, গ্যেটেৰ কবিতা আৰু টলষ্টয়ৰ উপন্যাসেও নকৰে ঃ বাখৰ সংগীত, লিয়'নার্ড-ডা-ভিঞ্চিৰ চিত্ৰয়ো নকৰে। কিন্তু সেইবোৰ হ'ল মানৱ সভ্যতাৰ এক বিশাল অবিচ্ছেদ্য অঙ্গ। মানুহৰ যদি আধ্যাত্মিক আৰু আত্মিক শক্তিয়েই নাথাকে, তেনেহ'লে মানুহৰ জীৱনৰ মাহাত্ম্য অন্তৰ্ধান হব।

অসমৰ মানুহ যি অনন্ত শক্তিৰ অধিকাৰী সেই শক্তিকে সাহিত্য-ৰসেৰে অধিক সংস্কৃত আৰু সুন্দৰ কৰি তাকে শংকৰদেৱে অসমক দান কৰি গ'ল। অসমৰ মানুহৰ সেই হৃত শক্তি পুনৰ উদ্ধাৰৰ কৃচ্ছ্ৰসাধনাতে শঙ্কৰদেৱৰ আদৰ্শৰে আমি জাগ্ৰত হ'ব লাগিব। কি অপৰাজেয় শক্তিৰে শঙ্কৰদেৱে এক বিক্ষিপ্ত সমাজক সাহিত্য-সংস্কৃতিৰ শক্তিৰে একত্ৰিত কৰিছিল, তাৰে প্ৰাসঙ্গিকতা অপৰিহাৰ্য জ্ঞান কৰি বৰ্তমান দেশৰ বিক্ষিপ্ত সমাজ আৰু চিন্তাক একত্ৰিত কৰাৰ স্বাৰ্থত সৰ্বভাৰতীয় ক্ষেত্ৰত শঙ্কৰদেৱক প্ৰতিষ্ঠা কৰিবৰ বাবে সাহিত্য সভাই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত অপৰিহাৰ্য হ'ব শঙ্কৰদেৱ সম্পৰ্কীয় ইংৰাজী ভাষাৰ একাধিক গ্ৰন্থ ঃ তেওঁৰ সমন্বয়ৰ সেই মহাশক্তিৰ কাহিনীয়ে সমগ্ৰ দেশবাসীক যে উদ্বুদ্ধ কৰিব, সেই বিষয়ে আমি নিশ্চিত।

তিনি

সাহিত্যৰ সত্য নিহিত হৈ থাকে শব্দশক্তিৰ মাজত। সেই শব্দশক্তি মানৱ সভ্যতাৰ এক অবিনশ্বৰ সম্পদ। আদিম কালতে যিটো শব্দ এজন মানুহৰ মুখেদি উচ্চাৰিত হৈছিল তাৰে ক্ৰমবিকাশ ঘটি হেজাৰ হেজাৰ বছৰৰ পিছত ৰামায়ণ-মহাভাৰত আৰু পিছত শঙ্কৰদেৱ-শেই'পীয়ৰ-ৰবীন্দ্ৰনাথৰ ৰচনাত পৰিণত হবই। শব্দৰ আৰম্ভণিহে আছে, তাৰ শেষ নাই। শব্দৰ শক্তিয়ে সত্যৰ ইঙ্গিত নিদিয়ে, অথবা সত্যৰ পথো উন্মোচন নকৰে। কাৰণ সেই শব্দ হ'ল নিজেই এক স্বয়ংসম্পূৰ্ণ সত্য। সেইবাবেই শব্দৰ মহিমাৰ লগত মানৱৰ সভ্যতা একাকাৰ হৈ আছে। বিজ্ঞান, দৰ্শন, সমাজবিজ্ঞান, অৰ্থনীতি, ৰাজনীতি আদিয়ে সত্যৰ পথ নিৰ্দেশ কৰে। কিন্তু তাৰ নিজৰ মাজতে সত্যক সৰ্বদা ধাৰণ কৰে। ৰামায়ণ-মহাভাৰত অথবা শঙ্কৰদেৱৰ দিনৰ অথবা শেই'পীয়ৰ-গ্যেটে-টলষ্টয়ৰ দিনৰ ৰাজনৈতিক-সামাজিক-অৰ্থনৈতিক ব্যৱস্থাই আজি আমাক আলোড়িত অথবা প্ৰভাৱিত নকৰে ঃ ইতিহাসৰ পাততে আবদ্ধ হৈ থাকিল সেইবোৰ ঘটনা। কিন্তু হেজাৰ হেজাৰ বছৰৰ আগতে ৰচিত ৰামায়ণ-মহাভাৰত, অথবা পাঁচশ বছৰৰ পূৰ্বতে ৰচিত শঙ্কৰদেৱ আৰু সেই অমৰ সাহিত্যিকসকলৰ ৰচনাৰাশিয়ে আমাক এতিয়াও প্ৰতি দিন মন্ত্ৰমুগ্ধ কৰে, আমাৰ জীৱন ধন্য আৰু সম্পূৰ্ণ কৰে। এই কথা পৃথিবীৰ সকলো ধ্ৰুপদী সাহিত্যৰ ক্ষেত্ৰতে সত্য।

প্ৰকৃততে, ইতিহাসৰ সীমাহীন অন্তৰায়, ৰাজনৈতিক বিভ্ৰান্তি, সন্ত্ৰাস আৰু মূল্যবোধহীনতাৰ গ্ৰাসত মানুহৰ যি স্মৃতি শক্তি লোপ পাইছিল, সেই শক্তি নিহিত হৈ থাকে, সেই বাবে শব্দশক্তিক নিজৰ জাতিৰ জীৱন-সংস্কৃতি-পৰম্পৰাৰ লগত একাকাৰ

কবি ল'ব নোৱাৰিলে লিখকে শব্দৰ সেই শক্তিক আয়ত্ত কৰিব নোৱাৰে। সেই বাবেই কোৱা হয়, লিখিব পৰাটো ভাগ্যৰ কথা আৰু ভালকৈ লিখিব পৰাটো পৰম ভাগ্যৰ কথা। সেই অৰ্থেই কালিদাসে 'ৰঘুবংশম'ত শব্দ আৰু তাৰ অৰ্থৰ লগত শিৱ আৰু পাৰ্বতীৰ শাশ্বত সম্পৰ্কৰ তুলনা কৰিছে।

আমি অভিভূত হওঁ এই কথা ভাবি যে আৰ্যসকল ভাৰতত প্ৰবেশ কৰাৰ পূৰ্বতে তেওঁলোকৰ কোনো লিখিত ৰচনা নাছিল। মুখেৰে উচ্চাৰিত শব্দৰ ওপৰত তেওঁলোকৰ বিশ্বাস আছিল অপৰিসীম। তেওঁলোকে শব্দক মন্ত্ৰৰূপে আবৃত্তি কৰি শ্লোকৰ এক অমৃত সংস্কৃতিৰ জন্ম দিছিল। সেই সংস্কৃতি আছিল অলিখিত : মুখে মুখে প্ৰচলিত আছিল সেই শব্দ-সংস্কৃতি। আৰ্যসকলে যেতিয়া ভাৰতত প্ৰৱেশ কৰিলে তেওঁলোকৰ বিশ্বাস হ'ল যে এই দেশৰ অনাৰ্যৰ সংস্পৰ্শত তেওঁলোকৰ সেই অলিখিত শব্দ-সংস্কৃতি বিকৃত অথবা প্ৰদূষিত নোহোৱাকৈ নেথাকিব। সেই আশঙ্কাৰ ফলশ্ৰুতি ঘটিল শ্লোকৰাশিৰ লিপিবদ্ধ ৰূপত। তাৰ স্বাভাৱিক পৰিণতিতে ৰচিত হ'ল ঋকবেদ। তাৰ পিছত ৰচনাৰ ক্ষেত্ৰত ভাৰতীয় ঋষি-কবিৰ যাত্ৰা হ'ল অবিৰত।

অসমীয়া ভাষাত শব্দৰ সেই মহিমা বিগত হোৱাৰ লক্ষণ বৰ্তমান স্পষ্ট হৈ উঠিছে। শব্দক বিকৃত কৰাৰ আৰু ভুল শব্দ ব্যৱহাৰৰ এক প্ৰৱণতা আমি লক্ষ্য কৰিছো। কিন্তু শব্দৰ সেই পূৰ্বৰ জ্যোতি আমি কোনোপধ্যেই ম্লান হ'বলৈ দিব নোৱাৰো। আমাৰ জাতীয় জীৱনৰ মহান স্বাৰ্থতে শুদ্ধ আৰু অবিকৃত শব্দৰ প্ৰয়োগ অপৰিহাৰ্য। শুদ্ধ শব্দ প্ৰয়োগেৰে আমি আমাৰ জাতীয় জীৱনৰ অনেক ভুল ব্যাখ্যা আৰু বিসংগতিৰ পৰা ৰক্ষা পাব পাৰো। অতি মাৰ্জিত শব্দেৰেও মানুহে প্ৰয়োজন সাপেক্ষে কঠিন ভাব প্ৰকাশ কৰিব পাৰে।

সমগ্ৰ অসম জুৰি শুদ্ধ শব্দ প্ৰয়োগৰ এক ভাষা-সংস্কৃতিৰ আলোড়নত আমাৰ লিখক, বুদ্ধিজীবী, সাংবাদিক, শিক্ষাব্ৰতীসকলে সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ সময় হ'ল। এই ক্ষেত্ৰত বাণীৰ সাধক সাহিত্যিকসকলৰ দায়িত্বই আটাইতকৈ বেছি। অসম সাহিত্য সভাই আন সাহিত্য-সংস্কৃতিৰ অনুষ্ঠানৰ সহযোগত সেই উদ্দেশ্যে বিশদ আলোচনাৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব।

চাৰি

জাতীয় জীৱনৰ লগত সাহিত্যৰ স্ৰোত একাকাৰ কৰাৰ বিপুল উৎসাহ-উদ্দীপনাৰে অসমীয়া সাহিত্যৰ পৰিধি ব্যাপক কৰি আমি সৰ্ব-ভাৰতীয় সাহিত্যক আদৰি লোৱাৰ বৰ্তমান সময় হ'ল। ভাৰতীয় সাহিত্য সেই একেটাই, কিন্তু তাকে বিভিন্ন ভাষাত লিখা হয়। যিহেতু সাহিত্য সৃষ্টিৰ মূল সমল হ'ল মানুহ, সেইবাবে সৰ্বভাৰতীয় পৰ্যায়ৰ সমগ্ৰ মানুহৰ জীৱনক লৈ ৰচিত সাহিত্যৰ এক স্পষ্ট ধাৰণা আমাৰ মনত দৃঢ় হ'ব লাগিব। আমাৰ দেশৰ সভ্যতা-সংস্কৃতিৰ আধাৰ ৰামায়ণ-মহাভাৰতৰ আমি যে সন্তান সেই কথা অনুভৱ কৰি আমাৰ মন গৌৰৱেৰে উপচি পৰে। বৰ্তমান ভাৰতৰ বিভিন্ন ভাষাৰ সাহিত্যৰ লগত আমাৰ সম্পৰ্ক ক্ষীণ হৈ অহাটো আনন্দৰ কথা হয়। বিভিন্ন প্ৰান্তৰ মানুহৰ জীৱনক লৈ ৰচিত সাহিত্যৰ লগত আমাৰ আত্মিক সম্পৰ্কই আমাৰ মানসিক শক্তিৰ বিকাশ ঘটাব।

এটা প্ৰশ্ন আমাৰ মনত উদয় হয় : আজিৰ দিনত ভাৰতীয় সাহিত্য কিমান ভাৰতীয়? সৰ্বভাৰতীয় পৰ্যায়ত জ্ঞানপীঠ, সাহিত্য অকাডেমী আদি প্ৰখ্যাত পুৰস্কাৰ লিখকক প্ৰদান কৰা হয় যদিও, যিখন মঞ্চত সেই লিখকসকল উপস্থিত হয়, তেওঁলোকৰ সৰহ ভাগে ইজনৰ ভাষা সিজনে নাজানে। পৃথিবীৰ অন্য দেশত এনে ঘটনা দুৰ্লভ। আমি লিপিৰ বাবে বঙলা ভাষাৰ ৰচনা পঢ়িব পাৰো, কিন্তু ভাষাৰ অত্যন্ত মিল থকা স্বত্তেও আমি উড়িয়া ভাষাৰ ৰচনা পঢ়িব নোৱাৰো। ভাৰতীয় যিকোনো ভাষাত ৰচিত সাহিত্যই ভাৰতীয় সাহিত্য সেই বিষয়ে সন্দেহ নাই, কিন্তু বিভিন্ন ভাষাত ৰচিত ৰচনা বিভিন্ন ভাষাৰ লোকে পঢ়িব নোৱাৰাটো অতি চিন্তাৰ কাৰণ।

সেই বাবে আমি অনুবাদৰ ওপৰত যথেষ্ট গুৰুত্ব অৰ্পন কৰিব লাগিব। একৈশ শতিকাৰ প্ৰথম দশকটো আমি অনুবাদৰ জগতত পৰিণত কৰিব লাগিব। আমি ভাৰতীয় বিভিন্ন সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থৰাশি অসমীয়ালৈ অনুবাদ কৰিব লাগিব আৰু অসমীয়াৰ শ্ৰেষ্ঠ গ্ৰন্থৰাশি বিভিন্ন ভাষালৈ অনুবাদ কৰিব লাগিব।

এই কথা ভাবি অদ্ভুত লাগে যে আমি পৃথিবীৰ শ্ৰেষ্ঠ সাহিত্য গ্ৰন্থৰাশি ইংৰাজী অনুবাদত পঢ়িবলৈ অতি ইচ্ছুক, কিন্তু ভাৰতৰ বিভিন্ন ভাষাৰ শ্ৰেষ্ঠ গ্ৰন্থবোৰকো অনুবাদৰ যোগেদি পঢ়িবলৈ আমি প্ৰায়েই ইচ্ছা নকৰো, যদিও ভাৰতৰ কেবাখনো

সার্থক গ্রন্থ অসমীয়া ভাষালৈ যথার্থৰূপে অনূদিত হৈছে। অনুবাদ যদি যথার্থ আৰু শুদ্ধ হয়, বিশ্বাসযোগ্য হয়, তেতিয়া অন্য ভাষাৰ শ্ৰেষ্ঠ গ্রন্থ পঢ়িবলৈ আমি কুণ্ঠাবোধ কৰিব নেলাগিব।

মহাপুৰুষ শঙ্কৰদেৱেই মহান অনুবাদকৰূপে আমাক শুদ্ধ পন্থা দেখুৱাই গৈছে। সংস্কৃত সাহিত্যত বিশাল পণ্ডিত হৈয়ো তেওঁ তৃণমূলৰ মানুহে পঢ়িব পৰাকৈ সাংস্কৃতিক জাগৰণৰ মহান উদ্দেশ্যেৰে অসমীয়ালৈ ভাগৱত মহাপুৰাণ অনুবাদ কৰিছিল। এখন অশিক্ষিত সমাজক উদ্বুদ্ধ কৰি সৰ্বভাৰতীয় দৰ্শন চিন্তাৰ লগত তাক মিলাই দিবলৈ তেওঁ সেই মহৎ যুগান্তকাৰী দায়িত্ব গ্রহণ কৰিছিল। অনুবাদৰ সেই গুৰুত্ব আজিও অব্যাহত হৈআছে। সাহিত্য অকাডেমী, নেশ্বনেল বুক ট্রাষ্ট আদি সৰ্বভাৰতীয় অনুষ্ঠানে অনুবাদৰ ওপৰত গুৰুত্ব অৰ্পন কৰিছে যদিও সেয়া যথেষ্ট নহয়। অসমৰ ক্ষেত্রত সাহিত্য সভা আৰু আন সাহিত্য-সংস্কৃতিৰ অনুষ্ঠানে সেই দায়িত্ব গ্রহণ কৰিব লাগিব।

আনহাতেদি, ভাৰতীয় সাহিত্যৰ পটভূমি অতিক্রমি আমি এই কথাও সজ্ঞানে চিন্তা কৰিব লাগিব যে বিশ্ব সাহিত্যও প্রকৃততে এটাই, যদিও সেই সাহিত্য বিভিন্ন ভাষাত লিপিবদ্ধ হয়। বিশ্ব সাহিত্যৰ প্রত্যক্ষ ধাৰণা আমাৰ সাহিত্যত উনৈশ শতিকাৰ শেষৰ পৰাই আছে আৰু সেই ধাৰণাক বৰ্তমান ব্যাপক কৰি তুলিব পাৰিব লাগিব। পৃথিৱীৰ মহৎ সাহিত্যিকসকল পৃথিৱীৰ সভ্যতা-সংস্কৃতিৰ অবিনশ্বৰ সম্পদ। এটা সময় আছিল যেতিয়া ইংৰাজী সাহিত্যিকৰ আৰু ইংৰাজীত অনূদিত অন্য প্রখ্যাত লিখকৰ ৰচনাই অসমীয়া সাহিত্যক ভাবে-ভাষাই-ব্যঞ্জনাই সমৃদ্ধ কৰিছিল। এতিয়াৰ বিশ্ব সাহিত্যই হেনেদৰে নকৰে। ইয়াৰ কাৰণ, বিশ্ব সাহিত্যৰ মান হ্রাস পাইছে নে আমাৰ পাঠকে তেনে ৰচনা পঢ়িবলৈ কুণ্ঠাবোধ কৰে, অথবা পঢ়িবলৈ নাপায়? এই কথা গভীৰভাৱে আলোচনা কৰি চাব লাগিব।

বিশ্ব সাহিত্যৰ এক সুস্পষ্ট ধাৰণা আমাৰ মনত থাকিলেহে বিশ্ব-মানৱতাৰ স্পৰ্শলৈ আমি আমাৰ জীৱন ধন্য কৰিব পাৰিম। শ্বেই'পীয়েৰৰ কথাকেই ভবা হওক। তেওঁ সমগ্র মানুহক তেওঁৰ নাটকত উপস্থাপন কৰিলে : অসমৰ মানুহো সেই একেই : আমি কোনো নির্জন সুদূৰ দ্বীপত বাস কৰিব নোৱাৰো। বিশ্ব সভ্যতাৰ বাহক হ' শ্বেই'পীয়েৰ। নিজৰদেশ অতিক্রমি তেওঁ নাটকৰ সমল সংগ্রহ কৰিছিল প্রাচীন ৰোমৰ ইতিহাসৰ পৰা, ইটালীৰ ৰেনেছা যুগৰ পৰা : নিজৰ যুগৰ ইংলেণ্ডৰ ইতিহাস অতিক্রমি তেওঁ মধ্য যুগৰ ইংলেণ্ডৰ ইতিহাসৰ পৰা নাটকৰ চৰিত্র উপস্থাপন কৰিছিল। সমগ্র মানৱ সমাজৰ সকলো ধৰণৰ চৰিত্রৰ সমাবেশ ঘটিছিল তেওঁৰ নাটকত : ৰজা, ৰাণী, খেতিয়ক, আদর্শবাদী, চোৰ, ভূত। প্রেমৰ গীত, শোকৰ গীত, সান্ত্বনাৰ গীত, ছনেট, প্রশংসা আৰু ঘৃণা, ৰেজাৰ আৰু আনন্দ, বিশ্বাসঘাতকতা আৰু উদাৰতা, জয় আৰু হতাশা, ভয় আৰু শান্তি বিপৰীতধর্মী ভাব আৰু অনুভূতি— মানৱ জীৱনৰ এনে এক দিশ নাই যিটোক শ্বেই'পীয়েৰে তেওঁৰ নাটকৰ সমল কৰি লোৱা নাই। সেই শ্বেই'পীয়েৰৰ নাটকত আমিও আমাক বিচাৰি পাওঁ : তেওঁৰ নাটক পঢ়িবলৈ পোৱাটো, তেওঁৰ নাটক হেজাৰ কষ্টেৰে বুজিবলৈ চেষ্টা কৰাটো আমাৰ পৰম ভাগ্য। কিন্তু শ্বেই'পীয়েৰৰে অধ্যয়ন আমাৰ ভাষাত ব্যাপক নহয়। তেওঁৰ বিখ্যাত ট্রেজেদীকেইখনেৰে যথাযোগ্য অনুবাদ এতিয়ালৈকে হোৱা নাই। আনকি তেওঁৰ নাটকৰ সম্পূর্ণ কাহিনীও আমাৰ গদ্যত লিখা হোৱা নাই।

ভাৰতীয় আৰু বিশ্ব সাহিত্যৰ লগত আমাৰ সম্পর্ক প্রগাঢ় কৰাৰ প্রয়োজনীয়তাৰ এক অপৰিহার্য কাৰণ আছে। সাহিত্যত বিপৰীত গুণৰ অথবা তুলনামূলক দৃষ্টিৰ প্রয়োজনীয়তা অপৰিসীম। এটা উন্নত ভাষাৰ সাহিত্যৰ লগত আমাৰ সাহিত্যৰ তুলনামূলক অধ্যয়ন কৰি আমাৰ সাহিত্যৰ শক্তি বৃদ্ধি কৰিব পাৰো। এটা সময় আছিল যেতিয়া বঙ্গদেশৰ প্রখৰ সূর্য ৰবীন্দ্রনাথৰ কাব্যৰ প্রত্যক্ষ সম্পর্কলৈ আহি তাৰ বিপৰীতে নিজৰ ভাষা সাহিত্যৰ উৎকর্ষৰ বাবে আজীৱন ব্রতী হ'ল কলিকতাৰ কলেজত পঢ়িবলৈ পোৱা তিনিজন অসমীয়া যুৱক, লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা আৰু হেমচন্দ্র গোস্বামী। সেই তিনিজন মহাপ্রাণ অসমীয়াই ইংলিছ ৰোমাণ্টিক কবিতাৰ প্রভাৱতো অসমীয়া ভাষাৰ উন্নতিৰ সাধনাত ব্রতী হৈছিল। ইংৰাজী কবিতাৰ সর্ব্বব্যাপী প্রভাৱৰ মাজৰ পৰা তেওঁলোক অসমীয়া কবিতাৰ মাজলৈ উত্তৰি আহিছিল। যেনেকৈ এদিন পৃথিৱী ভ্রমণ কৰি আহি জ্যোতিপ্রসাদে কৈছিল : "পশ্চিমীয়া শিক্ষা পাই অহঙ্কাৰত অন্ধলা হৈ ভৱৰে মহাপ্রতিভাক চিনি নেপাই ফুৰা মোৰ মনটোৰ সকলো অহঙ্কাৰ সেইদিনা একেবাৰেই ধুলিসাৎ হৈ গ'ল। সেই দিনাৰ পৰাহে মই অসমীয়া হ'বলৈ আৰম্ভ কৰিলো।

মোৰ ভিতৰৰ চাহাবটো ওলাই লৰ মাৰিলে। তাৰ পিছত নামঘৰৰ ভিতৰলৈ সোমাই গৈ দেখিলো থাপনাখন দেখোন cubist design ৰ। তাৰ আঁকবাকবোৰ কোনোটো impressionist । কোনোটো symbolist শিল্পীৰ আলেখ্যৰ দৰে। বাৰে বাৰে এটা প্ৰশ্ন জাগিবলৈ ধৰিলে বিলাতলৈ কেলেই পঢ়িবলৈ গৈছিলো? যি বিচাৰি গৈছিলো ঘুৰি আহি দেখোন ঘৰতে পালো।"

এই শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকতে বিশেষকৈ কৃষ্ণকান্ত সন্দিকৈ আৰু বাণীকান্ত কাকতিৰ ৰচনাৱলীৰ জৰিয়তে ৰবীন্দ্ৰনাথবন্দিত বিশ্ব সাহিত্যৰ যি ধাৰণাই প্ৰসাৰ লাভ কৰিছিল, যথার্থ অনুশীলনৰ অভাৱত তাৰ প্ৰভাৱ সীমিত হৈ আহিবলৈ ধৰিলে। কৃষ্ণকান্ত সন্দিকৈয়ে কৈছিল, ".. কাৰণ উপযোগী আৰু কার্যকৰভাৱে স্বদেশী হ'বলৈ গ'লে বিদেশীৰ যিবিলাক উৎকৃষ্ট আৰু নির্মল গুণ আছে তাৰ ভিতৰেদি স্বদেশী হ'ব লাগিব। নহ'লে সি 'কূপমণ্ডুক' ধৰণৰ স্বদেশী হ'ব।"(কৃষ্ণকান্ত সন্দিকৈ ৰচনাসম্ভাৰ ঃ পৃ. ৫১) সন্দিকৈকথিত কূপমণ্ডুক ধৰণৰ স্বদেশী ধাৰণা অথবা সংকীর্ণ অসমীয়া জাতীয়তাবাদৰ উত্থানৰ প্ৰশ্নটোৱো এই প্ৰসংগত এৰাই চলিব পৰা বিধৰ নহয়। মেথ্যু আর্ণল্ডৰ " ... The best that is known and thought in the world" ৰ চর্চা ব্যাপক হ'ব লাগিব আৰু তাৰ অনুশীলন হ'ব লাগিব প্ৰণালীবদ্ধ।

পাঁচ

অসম সাহিত্য সভাৰ সর্ববৃহৎ দায়িত্ব হ'ল গ্ৰন্থ প্ৰকাশন। বিপুল সংখ্যক গ্ৰন্থ প্ৰকাশ কৰি সাহিত্য সভাই বৌদ্ধিক দিশত অসম ৰাজ্যত এক যুগান্তকাৰী আলোড়নৰ সৃষ্টি কৰিব লাগিব। গ্ৰন্থ প্ৰকাশন এটা জাতিৰ জীৱনীশক্তিৰ প্ৰভূত পৰিচয়। অসমৰ মানুহৰ জীৱন-সংস্কৃতি পৰম্পৰাৰ লগত সাহিত্য সভাক একাকাৰ কৰিবৰ বাবে গ্ৰন্থ প্ৰকাশ হ'ল শ্ৰেষ্ঠ মাধ্যম। গ্ৰন্থ প্ৰকাশৰ লগত সৃষ্টিৰ এক অবিনশ্বৰ শক্তি নিহিত হৈ থাকে আৰু সেই শক্তি জাতীয় জীৱনৰ আধ্যাত্মিক আৰু মানসিক শক্তিৰ উৎকর্ষৰ বাবে অপৰিহার্য। এজন বিখ্যাত সাহিত্যিকে যি স্থানত নিজৰ অমৰ সাহিত্য ৰাশি সৃষ্টি কৰে সেই স্থান বিশ্ব সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰস্থলত পৰিণত হয় আৰু তাৰ গৌৰৱ বহন কৰে গ্ৰন্থই। গ্ৰন্থৰ ইতিহাসৰ লগত মানব সভ্যতাৰ ইতিহাস চিৰকাল অবিচ্ছেদ্য। হেজাৰ ৰাজত্বৰ পিছতো হেজাৰ যুদ্ধ মহাযুদ্ধৰ পিছতো, হেজাৰ ইলেকট্ৰনিক মাধ্যম আৰু টেলিভিশ্বনৰ পিছতো গ্ৰন্থৰ মহিমা বিগত হোৱাৰ বিপৰীতে বেছি উজ্জ্বলহে হ'ল।

অসমৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাস কেবাখনো আছে। সেইবোৰে ৰাজনৈতিক ইতিহাসৰ বিস্তৃত বার্তা আমালৈ কঢ়িয়াই আনে। সেইবোৰত থাকে ৰাজনৈতিক বিৱর্তনৰ কাহিনী, শাসকসকলৰ কাহিনী। কিন্তু আমাৰ বাবে অতি দুখৰ কথা যে আমাৰ এখন অসমীয়াৰ ইতিহাস নাই। পৃথিবীৰ দেশে দেশে নিজৰ মানুহৰ ইতিহাস আছে ঃ সেই ইতিহাসৰ যোগেদি এটা জাতিৰ মানুহৰ স্মৃতি সত্তা-ভবিষৎ তাৰ জীৱনী শক্তি সম্মুখৰ অনেক প্ৰত্যাহ্বানৰ সম্মুখীন হোৱাৰ তাৰ ক্ষমতা, কেনেকৈ অনেক ঠাইৰ মানুহ আহি এই ভূমি খণ্ড আৱৰি ধৰিলে, এখণ্ড ভূমিতে কেনেকৈ অনেক মানুহৰ নিজৰ সংস্কৃতিৰ চিন্তা পৰম্পৰা একাকাৰ হৈ পৰিল, সেই কাহিনী তেনে ইতিহাসত লিপিবদ্ধ হয়।

অসমীয়াৰ ইতিহাস প্ৰণয়ণ হব সাহিত্য সভাৰ গ্ৰন্থ প্ৰকাশনৰ এক বৃহৎ অংশ। ইয়াৰ লগত জড়িত হব লাগিব কেবাগৰাকীও চিন্তাশীল ব্যক্তি। এসময়ৰ এক বিশাল শক্তিৰূপে প্ৰখ্যাত অসমীয়া জাতি কি কাৰণে আজি হৈ পৰিছে ক্লান্ত সেই কাহিনীও সেই অসমীয়াৰ ইতিহাসৰ পাতত উজ্জ্বল হৈ উঠিব। অসমৰ ভৌগোলিক সীমাৰ মাজত থকা প্ৰতিটো জাতি গোষ্ঠীৰ মানুহৰ ইতিহাস প্ৰণয়ন কৰিবলৈ সেই সেই ভাষাৰ সাহিত্য সভাক আৰু বিদ্বৎ সমাজক আহ্বান জনোৱা হব। সেইবোৰ ইতিহাস ৰচিত হব লাগিব প্ৰতিটো জনজাতীয় ভাষাত আৰু শেষত সেইবোৰ কাহিনী অনূদিত হ'ব অসমীয়া ভাষালৈ। তেনেকৈ অসমীয়াৰ ইতিহাসো জনজাতীয় ভাষালৈ অনুবাদ কৰাৰ প্ৰচেষ্টা হাতত লব লাগিব। এই ক্ষেত্ৰত জনজাতীয় সকলৰ সাহিত্য সভাৰ লগত যোগসূত্ৰ স্থাপিত হ'ব।

বিশ্ব সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থৰাশি অনুবাদ প্ৰকাশ কৰিবলৈ আমি দায়বদ্ধ হব লাগিব। পৃথিবীৰ সাহিত্য-সংস্কৃতি, বিজ্ঞান, দর্শন, কাৰিকৰী বিদ্যা, স্থপতি চিত্ৰশিল্প-ভাস্কর্য আদিৰ বিষয়ে ব্যাপক ৰূপত গ্ৰন্থ প্ৰকাশৰ আঁচনি গ্ৰহণ কৰিব লাগিব। সাহিত্য সভাই প্ৰয়োজন হ'লে বাইজৰ অন্যান্য গ্ৰন্থ প্ৰকাশন অনুষ্ঠানৰ সহযোগ বিচাৰিব।

কিন্তু সেই গ্রন্থ প্রকাশনৰ এক দৰ্শন আৰু চৰিত্ৰ থাকিব লাগিব। মানুহৰ জীৱন, মানুহৰ সংস্কৃতি, পৰিপূৰ্ণ ৰূপে সমৃদ্ধ কৰিব পৰা গ্ৰন্থহে প্ৰকাশ কৰিব লাগিব। যি গ্ৰন্থই সৃষ্টিৰ ৰসৰ সঞ্চাৰ কৰে, লিখকৰ অভিজ্ঞতাক সৃষ্টিৰ ৰসলৈ যি গ্ৰন্থই ৰূপান্তৰিত কৰে, মানুহক মুক্তিৰ চেতনাৰে যি গ্ৰন্থই উদ্বেলিত কৰে, তেনে গ্ৰন্থৰ প্ৰকাশতহে সাহিত্য সভাই নিজকে ব্ৰতী কৰিব। সাহিত্য সভাই ইতিমধ্যে লোৱা গ্ৰন্থ আঁচনি দৃঢ়ভাবে কাৰ্যকৰী কৰিব লাগিব।

অনুবাদৰ প্ৰয়োজনীয়তাক গুৰুত্বসহকাৰে গ্ৰহণ কৰিব লাগিব। কিন্তু কেবল অনুবাদ হৈ থাকিলেও নহব : অনূদিত ধাৰণাই জাতীয় জীৱনক নতুন প্ৰাণ সঞ্চাৰ কৰাৰ পৰিবেশো আমি সৃষ্টি কৰিব লাগিব।

ছয়

এটা ভাষাৰ জীৱনীশক্তিৰ সৰ্বশ্ৰেষ্ঠ প্ৰমাণ হ'ল সেই ভাষাৰ যোগেদি সেই ভাষা-ভাষী লোকে পৃথিবীৰ সকলো মহৎ চিন্তা, দৰ্শন, আবিষ্কাৰৰ কথা সম্যকভাবে জানিব লাগিব। সাহিত্য-সংস্কৃতি, দৰ্শন, শিক্ষা, বিজ্ঞান, কাৰিকৰী বিদ্যাৰ প্ৰাচীন আৰু বৰ্তমানৰ সকলো কাহিনী আৰু ঘটনা নিজৰ ভাষাত মানুহে পঢ়িবলৈ পোৱাতো সভ্যতাৰ এক বিকশিত ৰূপ। শব্দৰ সেই শক্তি আছে বাবেই ভাষা মানৱ সভ্যতাৰ শ্ৰেষ্ঠ বাহক। মানৱ জাতিক সকলো মহৎ চিন্তাৰে সু-সমৃদ্ধ কৰাটো সভ্যতাৰ অন্যতম লক্ষ্য। এখন দেশৰ মানুহৰ মহান সৃষ্টিৰ কাহিনী পটি পৃথিবীৰ আনদেশৰ মানুহে গৰ্ব অনুভব কৰে : মানুহবে সেই শক্তিয়ে অন্য মানুহৰ মনত প্ৰভুত শক্তিৰ সৃষ্টি কৰে। কিন্তু অসমীয়া ভাষাত পৃথিবীৰ সেই সকলো চিন্তা যথাৰ্থভাবে, তত্ত্ব আৰু বিশ্লেষণৰ মহত্বৰে প্ৰতিফলিত হোৱা নাই। এক সংখ্যক ৰচনাৰ মাজেৰে সেইবোৰ কাহিনীৰ একাংশ প্ৰকাশিত হলেও স্থায়ী ৰূপত গ্ৰন্থাকাৰে সেইবোৰ ৰচনা প্ৰকাশিত নোহোৱাতো চিন্তা কৰিবলগীয়া কথা।

শ্বেই'পীয়েৰৰ নাটক, বিট'ফেনৰ সংগীত, লিয়'নার্ড-ডা-ভিঞ্চিৰ চিত্ৰ, টলষ্টয়ৰ উপন্যাস মানৱ সভ্যতাৰ অবিচ্ছেদ্য অংগ। কিন্তু অসমীয়া ভাষাত শ্বেই'পীয়েৰৰ সাতত্ৰিশখন নাটকৰ ভিতৰত অন্ততঃ দহখনো শ্ৰেষ্ঠ নাটক সম্পূৰ্ণ আৰু শুদ্ধৰূপে অসমীয়াত এতিয়ালৈকে অনূদিত হোৱা নাই। বিট'ফেনৰ সংগীত আৰু ডা-ভিঞ্চিৰ [illegible] বিশদ আলোচনা আমাৰ ভাষাত এতিয়ালৈকে হোৱা নাই। পৃথিবীৰ সাহিত্য-সংস্কৃতিৰ ইতিহাসত এনে ঘটনা অনেক আছে যেতিয়া এখন দেশৰ কোনো মহৎ গ্ৰন্থৰ আলোচনা সেই দেশতে সীমাবদ্ধ নহৈ পৃথিবীৰ অন্য দেশতো ব্যাপক হৈ পৰে। মানুহেই যেতিয়া সাহিত্যৰ শ্ৰেষ্ঠ সমল তেতিয়া সাহিত্যৰ মাজেৰে এখন দেশৰ মানুহৰ কাহিনী আন এখন দেশৰ মানুহে জানিবলৈ বিচৰাতো একান্ত স্বাভাৱিক। অসমৰ মানুহেও নিজৰ ভাষাৰ যোগেদি সেইবোৰ গ্ৰন্থৰ কথা তাৰ প্ৰকাশৰ ঠিক পিছতে জানিবলৈ বিচাৰিব।

অসমীয়া শব্দৰ শক্তি অপৰিমেয়। সেইবোৰ শব্দৰ দ্বাৰা পৃথিবীৰ সকলো মহৎ চিন্তা, ঘটনাৰ আবিষ্কাৰৰ কথা আৰু কাহিনী পৰ্যাপ্ত ভাবে প্ৰকাশ কৰিব পাৰি। শব্দৰ শক্তিৰে অসমীয়া ভাষা চিৰ শক্তিশালী। এইক্ষেত্ৰত কেইটামান নতুন শব্দৰ আবিষ্কাৰো অপৰিহাৰ্য। কিছুমান ইংৰাজী শব্দৰ পোনপটীয়া প্ৰতিশব্দ নাথাকিলেও দুই চাৰিটা শব্দৰ সহায়েৰে সেই কথা যথাযথ ব্যাখ্যা কৰিব পাৰি। অসমীয়া শব্দৰ ব্যাপক শক্তি আৰু মহিমা মাধৱ কন্দলি, শংকৰদেৱ, মাধৱদেৱ, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, বাণীকান্ত কাকতিৰ ৰচনাৰ মাজেৰে পৰিপূৰ্ণৰূপত প্ৰমাণিত হৈছে।

ইটালী, ফ্ৰান্স, ইংলণ্ডৰ চিত্ৰকৰে অসমীয়া চিত্ৰকৰৰ দৰে একেই কেনভাছ, হিজেল, ৰং ব্যৱহাৰ কৰে চিত্ৰাঙ্কন কৰে। কিন্তু সেই চিত্ৰ বুজাত আমাৰ যথেষ্ট কষ্ট হয়: কোনো প্ৰসিদ্ধ চিত্ৰকৰৰ সহায় নোলোৱাকৈ সেই ছবিৰ মহিমা আমি নুবুজাকৈয়ে থাকো। অথচ ইটালী, ফ্ৰান্সৰ প্ৰখ্যাত লিখকৰ ৰচনা (ইংৰাজী অনুবাদৰ যোগেদি হ'লেও) আমাৰ ইংৰাজী জনাসকলে বুজাটো কষ্টসাধ্য নহয়। সেয়া হ'ল শব্দ-শক্তিৰ মহিমা।

সাত

অসম এখন বহু সংস্কৃতিৰ বহু ভাষা-ভাষী লোকৰ ৰাজ্য। যেনেকৈ অনেক লোক নানা সুঁতিৰ পৰা আহি এই ভাৰতৰ মহামানৱৰ স্ৰোতৰ লগত একাকাৰ হৈ পৰিল, তেনেকৈ অসমো বিভিন্ন জাতি-গোষ্ঠী আৰু সংস্কৃতি-পৰম্পৰাৰ সন্মিলিত এক ৰাজ্য। এই সংস্কৃতিয়ে অসম ৰাজ্যক দিলে এক অভূতপূৰ্ব দৰ্শন আৰু শক্তি। অসমৰ মাটি-পানী-বায়ু জনজাতীয় লোকৰ নিশ্বাস-প্ৰশ্বাসৰ লগত এক হৈ আছে। ইতিহাস তাৰ সাক্ষী।

অসমৰ জনজাতীয়সকলৰ যে একোটা ভাষা আছে, সেইটোৱেই তেওঁলোকৰ মহত্ত্ব, চেওঁলোকৰ স্থিতি আৰু সত্তাৰ সৰ্বশ্ৰেষ্ঠ পৰিচয়। এটা জাতিৰ যেতিয়া এটা নিজস্ব ভাষা থাকে, তেতিয়া সেই জাতি তাতকৈ মহত্ত্বৰ ভাগ্যৰ অধিকাৰী হোৱাৰ প্ৰয়োজন নাই। ভাষাৰ-কেৱল আৱশ্যকীয়তা আছে, তাৰ শেষ নাই। নিজৰ ভাষাক যিজনে শ্ৰদ্ধা কৰে, সেইজনে অন্য ভাষাকো শ্ৰদ্ধা কৰিব লাগিব। অসমৰ ভৌগোলিক সীমাৰ মাজত থকা প্ৰত্যেকটো ভাষাই একোটা সম্পূৰ্ণ ভাষা ঃ এটা ভাষা আনটোৰ সমকক্ষ। অসমীয়া ভাষাত ৰচিত গ্ৰন্থৰ সংখ্যা বেছি হ'ব পাৰে, কিন্তু জনজাতীয় যিকোনো এটা ভাষাৰ গ্ৰন্থৰ সংখ্যা এদিন অসমীয়া গ্ৰন্থৰ সমান অথবা অধিক হ'ব পাৰে। অসমৰ প্ৰত্যেকটো ভাষাৰ প্ৰতি আমাৰ থাকিব লাগিব অসীম শ্ৰদ্ধা।

অসমত বাস কৰা সকলো লোকেই ইজন-সিজনৰ একান্ত আপোন। অসম নামৰ এই পৱিত্ৰ ভূমিয়ে তাৰ সন্তানসকলক দিছে সেই একেই চৰিত্ৰ আৰু দৰ্শন। অসমৰ সকলো মানুহৰ আশা-আকাঙ্খা, প্ৰতিশ্ৰুতি সদায় একেই। আইতাৰ সেই তামোল-ধঁপাত খোৱা মুখৰ গোন্ধ অসমৰ মানুহৰ ঐক্যৰ এক আপুৰুগীয়া প্ৰতীক। এতিয়া সময় হ'ল সাহিত্য-সংস্কৃতিৰ মাজেৰে এখন ঐক্যবদ্ধ অসম গঢ় দিয়াৰ। সন্ত্ৰাস আৰু বিচ্ছিন্নতাৰ বিপৰীতে এক ঐক্যবদ্ধ শক্তিশালী অসম গঢ় নিদিলে আমাৰ উত্তৰাধিকাৰীসকলে আমাক অভিশাপ দিব। ঐক্যবদ্ধ হোৱাৰ আমাৰ অপৰিসীম শক্তি আছে।

অসমীয়া ভাষাৰ যিখিনি শ্ৰেষ্ঠ ৰচনা সেইখিনি অসমৰ আটাইকেইটা জনজাতীয় ভাষালৈ অনুবাদ কৰিব লাগিব আৰু জনজাতীয় ভাষাৰ যিখিনি শ্ৰেষ্ঠ ৰচনা সেইখিনি অসমীয়ালৈ অনুবাদ কৰিব লাগিব। এই ক্ষেত্ৰত জনজাতীয় বিদ্বৎ সমাজৰ একান্ত সহযোগ কামনা কৰিলো। সদ্যহতে অপৰিহাৰ্য এখন বৃহৎ অভিধানৰ যিখন অসমীয়া আৰু প্ৰত্যেকটো জনজাতীয় ভাষাৰ শব্দৰ প্ৰত্যেকৰে অৰ্থ থাকিব। এই ক্ষেত্ৰত অসম সাহিত্য সভাই জনজাতীয় সম্প্ৰদায়ৰ বিদ্বৎসকলৰ একান্ত সহযোগ কামনা কৰিব। ভাষা, সাহিত্য আৰু সংস্কৃতিৰ মাজেৰে গঢ় লোৱা সম্পৰ্ক আৰু সম্প্ৰীতি সদায় স্থায়ী হয়।

ভাষাগত পাৰ্থক্যৰ সমস্যা সমাধান কৰাৰ শক্তিশালী পন্থা হ'ল বিভিন্নভাষা-ভাষী লোকৰ মাজৰ দীৰ্ঘকলীয়া সম্পৰ্ক, আবেদন আৰু হৃদয়ৰ উদাৰতা। প্ৰীতি আৰু বিশ্বাস স্থাপন হ'ল তাৰ মূল জীৱনীশক্তি।

অসমীয়া সাহিত্যৰ সমল বিচাৰি অসমৰ জনজাতীয়সকলৰ বৰ্ণাঢ্য সংস্কৃতিৰ মাজত সোমাব লাগিব। অসমৰ মাটি-পানীৰ লগত তেওঁলোকৰ জীৱনৰ যোগসূত্ৰ হেজাৰ বছৰীয়া। জনজাতীয় জীৱনৰ বৰ্ণাঢ্য জীৱনৰ পৰা সমল লৈ অসমীয়া সাহিত্য সমৃদ্ধ হৈছে আৰু অধিক সমৃদ্ধ হোৱাৰ আছে প্ৰভূত সম্ভাৱনা।

মহাভাৰত-ৰামায়ণৰ কাহিনীৰেই বিভিন্ন-ৰূপ অসমৰ জনজাতীয় লোকৰ মাজত যুগ যুগ ধৰি বিয়পি আছে। কাৰ্বি ভাষাত লিখিত ৰামায়ণৰ কাহিনীয়েই তাৰ যথেষ্ট প্ৰমাণ। সেইবোৰ আখ্যানে অসমীয়া লিখকক উদ্বুদ্ধ নকৰাকৈ নেথাকিব।

আঠ

অসমৰ যিসকল উগ্রপন্থীয়ে অসমক ভাৰতৰ পৰা বিচ্ছিন্ন কৰিবলৈ হাতত অস্ত্ৰ তুলি লৈছে, তেওঁলোকক দ্ব্যৰ্থহীন দ্বিধাহীন ভাষাৰে আমাৰ পক্ষৰ পৰা কোৱাৰ সঠিক সময় হ'ল যে আমি অজস্ৰ বিপদৰ মাজতো ভাৰতৰ পৰা বিচ্ছিন্ন হৈ আহিব নোৱাৰোঁ। বিচ্ছিন্ন হৈ আহিব নোৱাৰোঁ কোনো সাময়িক শক্তিৰ ত্ৰাসত নহয়, নোৱাৰোঁ হেজাৰ বছৰ ধৰি ভাৰতৰ লগত অসমৰ আত্মা আৰু স্মৃতি-ভৱিষ্যৎ একাকাৰ হৈ আছে বাবে। আমাৰ অতি আপোন সেই ৰামায়ণ-মহাভাৰত-গীতা-উপনিষদ-ভাগৱতৰ ভাৰত। সেইখন ভাৰতৰ লগত আমাৰ মহাপুৰুষ শঙ্কৰদেৱে ভাৰে-ভাষাই-বন্দনাই-দৰ্শনেৰে সাহিত্য আৰু চিন্তাৰ ক্ষেত্ৰত এক কৰি থৈ গৈছে।

ভাৰতৰ পৰা বিচ্ছিন্ন হৈ অহাৰ কথা বাদ দিলে উগ্রপন্থীসকলৰ লগত আমাৰ সম্পৰ্ক সহজ হৈ পৰিব। অসমৰ সকলো প্ৰকাৰৰ প্ৰগতি আৰু উন্নতিয়েই যদি তেওঁলোকৰ কাম্য হয়, তেনেহ'লে তেওঁলোকৰ লগত আমাৰ উদ্দেশ্যৰ পাৰ্থক্য নাই। তৃণমূল মানুহৰ অন্তৰত যি অনন্ত শক্তি সুপ্ত হৈ আছে, সেই শক্তি জাগ্রত কৰি অসমৰ সৰ্বাঙ্গীন উন্নতিৰ হকে অসমক মাতৃজ্ঞান কৰা সকলো শুভবুদ্ধিসম্পন্ন লোক ব্ৰতী হ'ব লাগিব। উগ্রপন্থী-সকলে অসমৰ মানুহৰ অপৰিমেয় শক্তিৰ ওপৰত বিশ্বাস স্থাপন কৰক, অসমৰ মানুহৰ ওপৰত তেওঁলোকৰ ভৰসা সম্পূৰ্ণ হওক। অসমত জাতীয় জীৱনত সন্ত্ৰাস কোনোকালে স্থায়ী নহয়, স্থায়ী হ'ব নোৱাৰে। অসমৰ ইতিহাস শান্তি আৰু সম্প্ৰীতিৰ ইতিহাস, ন্যায় আৰু ভাতৃত্ববোধৰ ইতিহাস। অসমৰ সমন্বয়ৰ

ভূমিত সন্ত্রাস কোনোপধ্যেই স্থায়ী হ'ব নোৱাৰে।

ভাৰতৰ বৰ্তমানৰ গণতান্ত্রিক শাসনত আমি সন্তুষ্ট নহয়। যি ৰাজনীতিৰ লগত তৃণমূল মানুহৰ জীৱনৰ সম্পৰ্ক নাই, সম্পৰ্ক নাই মানুহৰ সংস্কৃতিৰ লগত, ৰাজ্যৰ মাটি-পানী-বায়ুৰ লগত, যি ৰাজনীতিয়ে মানুহৰ স্বাভাৱিক গুণৰ বিকাশ নঘটোৱাকৈ ক্ষমতা আৰু বিত্তৰ প্ৰভাৱেৰে শাসন সাব্যস্ত কৰে, সেই ৰাজনীতিৰ লগত মানুহৰ সম্পৰ্ক দিনে দিনে শিথিল হৈ আহে।

কিন্তু আমাৰ দেশত, আমাৰ জীৱনত গণতন্ত্ৰৰ বিকল্প নাই : গণতন্ত্ৰৰ বিকল্প হ'ল হিটলাৰী শাসন, সৈন্য অথবা সন্ত্ৰাসৰ শাসন। সভ্যতাৰ অবিচ্ছেদ্য অঙ্গৰূপে সাহিত্য-সংস্কৃতি-পৰম্পৰাৰ লগতে ৰাজনীতিকো ধৰা হয়। মানুহৰ নিজৰ হাতত, নিজৰ অফুৰন্ত শক্তিৰ মাজতে গণতন্ত্ৰক জীৱনীমুখী কৰাৰ ক্ষমতা নিহিত আছে।

অসমৰ মানুহৰ সেই প্ৰচণ্ড শক্তিৰ ওপৰত একান্ত বিশ্বাস স্থাপন কৰিবলৈ আমি উগ্রপন্থীক ঐকান্তিক আহ্বান জনাও। সন্ত্ৰাসৰ ব্যাপকতাই মানুহৰ মনত ত্ৰাসৰ সৃষ্টি কৰিছে : মৃত্যুতকৈ মৃত্যুৰ ভয়ে মানুহক আতঙ্কিত কৰিছে। সুদীৰ্ঘ কালৰ হিংসা-অনিশ্চয়তাৰ গ্ৰাসত আমাৰ সাহিত্য-সামাজিক জীৱন ৰুদ্ধ হোৱাৰ উপক্ৰম হৈছে, অৰ্থনৈতিক জীৱন হৈ পৰিছে অনিশ্চিত। সমগ্ৰ জীৱন হৈ পৰিছে নেতিবাচক : মানুহৰ মনত সৰ্বনাশী ভাব প্ৰকট হৈ পৰিছে যে আজি হত্যা নকৰিলে মানুহৰ মৃত্যু নহয়। মৃত্যুৰ আশঙ্কাই জীৱনৰ যি সহজাত আনন্দ তাক বিপৰ্যস্ত কৰিছে। হিংসাৰ পথ সহজ, অহিংসাৰ পথ বিলম্বিত, কিন্তু সেই পথ যাউতীযুগীয়া। বন্দুকৰ গুলীৰ শব্দতকৈ মানুহৰ মনৰ শক্তি সহস্ৰ গুণে অধিক। অসমৰ মানুহক অফুৰন্ত শক্তিৰ অধিকাৰী কৰিব পাৰি কেৱল অসমৰ মানুহৰ মনত সুপ্ত হৈ থকা অখণ্ড শক্তিৰ সহায়ত।

অসমৰ উগ্রপন্থীসকলে শঙ্কৰদেৱক কিদৰে গ্ৰহণ কৰে? সেই মহাপুৰুষৰ জীৱন আৰু কৃতিৰ বিষয়ে তেওঁলোকৰ কি ধাৰণা। 'নিৰ্বলীক অন্যায় নকৰয় যেন বলী'— মহাপুৰুষৰ এনে বাণীৰ প্ৰতি উগ্রপন্থীসকলৰ ধাৰণা কি? মহাপুৰুষৰ 'ধন্য ধন্য ভাৰত বৰিষে'— এই উদাত্ত বাণীয়ে তেওঁলোকৰ হৃদয় স্পৰ্শ কৰেনে? যদি কৰে সেই ভাৰতীয় দৰ্শন আৰু আদৰ্শত মহাব্ৰতী শঙ্কৰদেৱৰ ভাৰতবন্দনাই ভাৰতৰ বিৰুদ্ধে অস্ত্ৰ ধৰিবলৈ তেওঁলোকক উদ্বেলিত কৰেনে?

অসমৰ অস্তিত্ব ৰক্ষা যদি উগ্রপন্থীসকলৰ কাম্য, তেন্তে বিদেশী নাগৰিকৰ ভয়ংকৰ সমস্যাতকৈ তেওঁলোকৰ বন্দুকৰ গুলীৰ শব্দ অধিক হ'ব নোৱাৰে। আমি কোনো পক্ষৰ সন্ত্ৰাসৰ সমৰ্থক নহয় : ৰাষ্ট্ৰৰ সন্ত্ৰাসেই হওক অথবা ব্যক্তিগত পৰ্যায়ৰ সন্ত্ৰাস হওক। কিন্তু এটা বিষয়ে আমি নিশ্চিত : উগ্রপন্থীসকলে যদি স্থায়ীভাৱে অস্ত্ৰ পৰিহাৰ কৰে তেন্তে অসমৰ মানুহৰ ঐক্যবদ্ধ দাবীত সৈন্যবাহিনী একে দিনাই অসম ত্যাগ কৰিবলৈ বাধ্য হ'ব। অসমত বাস কৰা মানুহৰ যি অপ্রতিৰোধ্য শক্তি তাৰ বৰণ বন্দুকৰ গুলীৰ বৰণতকৈ অধিক গাঢ়।

একৈশ শকিতাৰ প্ৰথম দশকটোতে এই ৰাজ্য শান্তিপূৰ্ণ অসমলৈ ৰূপান্তৰিত হওক। অসমৰ মানুহে পুনৰ হাঁহিবলৈ ধৰিব।

ন

অসমত বৰ্তমান প্ৰকাশিত বাতৰিকাকতৰ ব্যাপক প্ৰচাৰলৈ লক্ষ্য কৰি সেই বিষয়ে অলপ কোৱাৰ সাৰ্থকতা দেখিলো। অসমৰ জাতীয় জীৱন, ভাষা-সাহিত্যৰ উত্তৰণত আমাৰ বাতৰিকাকত আৰু আলোচনীৰ অবিহণা গৌৰৱজনক। অসমীয়া সাহিত্যৰ ইতিহাসত কাকত-আলোচনীৰ বিষয়ে একোটা অধ্যায় থাকে। সত্যৰ খাতিৰত ক'বলৈ গ'লে, বাতৰিকাকত আৰু আলোচনীৰ পাততে অসমৰ জাতীয় জীৱনৰ ইতিহাসৰ খচৰা ৰচিত হৈছিল। বাতৰিকাকতৰ অজস্ৰ বাতৰিৰ মাজৰ পৰাই অসমৰ ইতিহাসে লাহে লাহে গঢ় লৈছিল। সেই দৃষ্টিৰ পৰা অসমৰ ডেৰশ বছৰীয়া বাতৰিকাকত আৰু আলোচনী অসমৰ জাতীয় জীৱন আৰু সংস্কৃতিৰ এক আলোকসন্ধানী অধ্যায়। এই ডেৰশ বছৰৰ সাংবাদিকতাৰ ইতিহাসৰ লগত অসমৰ সাহিত্য, কলা-পৰম্পৰা, লোককথা, কিম্বদন্তী আৰু লোকাচাৰ একাকাৰ হৈ আছে।

অসমত একোখন বাতৰিকাকত আৰু আলোচনীৰ নামেৰে আমাৰ সাহিত্যৰ এক যুগৰ নাম নিৰ্ণীত হৈছে। যেনে : অৰুণোদই যুগ, জোনাকী যুগ, বাঁহী যুগ, আবাহন যুগ। ভাৰত আৰু পৃথিৱীৰ সাহিত্যত এনে ঘটনা দুৰ্লভ বুলি ক'ব পাৰি।

এক বৃহৎ ভূমিকা লৈ অসমৰ প্ৰথম সংবাদপত্ৰ অৰুণোদয়ে অসমৰ সাংবাদিকতাৰ সুদৃঢ় পথ উন্মুখ কৰে। অৰুণোদইৰ ব্যাকৰণবিহীন ভাষাৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনোৱা হেমচন্দ্ৰ বৰুৱাৰ আসাম নিউচে অসমত সাহিত্যৰ এটা যুগৰ সৃষ্টি কৰিব

নোৱাৰিলেও সংস্কৃত-পৰম্পৰাৰ পুনৰুত্থান ঘটাই আধুনিক অসমীয়া ভাষাৰ পাতনি মেলিলে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা আৰু হেমচন্দ্র গোস্বামীয়ে প্রতিষ্ঠা কৰা 'জোনাকী' আলোচনী অসমীয়া জীৱনৰ এক যুগান্তকাৰী ঘটনা। এই আলোচনীৰ প্রতিষ্ঠা আধুনিক অসমীয়া সাহিত্যৰো জন্মোৎসৱ বুলি অসমীয়া সাহিত্যৰ ইতিহাসত স্বর্ণাক্ষৰে লিখা আছে।

চন্দ্রকুমাৰে জোনাকীৰ আত্মকথাত এই কথা বিবৃত কৰিলে : "এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ জোনাক সুমুৱাব নোৱাৰিলেও যদি নিজে নিজেও যত্নৰ ফিৰিঙ্গতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তি মিছা ব্যয় হোৱা নাই বুলি ভাবিম।... আমি যুঁজিবলৈ ওলাইছো আন্ধাৰৰ বিপক্ষে। উদ্দেশ্য— দেশৰ উন্নতি জোনাক।" অসমীয়া জাতীয় জীৱনলৈ সুৰে-ভাবে-ভাষাই-ছন্দই-ঝঙ্কৃত হোৱা চন্দ্রকুমাৰৰ 'বনকুৱৰী' নামৰ কবিতাটো পঢ়িবৰ বাবে সমগ্র জাতিটোৱে অৰুনোদইৰ পৰা অর্ধশতাব্দী কাল যেন অত্যুগ্র আশাৰে অপেক্ষা কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ বাঁহীত সাধুকথাৰ পৰা তুলি আনি আধুনিক গল্পক সুদৃঢ়ভাৱে প্রতিষ্ঠা কৰিলে। বেজবৰুৱাৰ নিজৰে অনেক গল্প সেই আলোচনীত প্রকাশিত হৈছিল। তদুপৰি অসমীয়া জাতীয় জীৱনত সিঁচৰতি হৈ থকা অনেক সাধুকথা আধুনিক ভাষাৰে বেজবৰুৱাই বাঁহীত প্রকাশ কৰে। বেজবৰুৱাই নিজৰ অনেক গল্পক সামাজিক জীৱনৰ সমালোচনাৰ অস্ত্ররূপে ব্যৱহাৰ কৰিছিল। বৃটিছ শাসনৰ লগত জড়িত এক সংখ্যক অসমীয়াৰ ভেম-অহঙ্কাৰ, নতুনকৈ ইংৰাজী ভাষা শিকা এক সংখ্যকৰ মিথ্যা প্রকোপ আৰু গাঁৱৰ পৰা নগৰলৈ অহা এক সংখ্যক লোকৰ অযথা অহংকাৰক তাচ্ছিল্য কৰি বেজবৰুৱাই নিজৰ গল্পত শ্লেষ প্রকট কৰি তুলিছিল। বাঁহীৰ অন্য এক মহৎ অৱদান অৱদান হ'ল, শঙ্কৰদেৱক নামঘৰৰ বাহিৰতো প্রতিষ্ঠা কৰা আৰু শঙ্কৰদেৱৰ ৰচনাৰাশিক জাতীয় মঞ্চত সমালোচনা-পর্যালোচনা কৰাৰ পথ উন্মুক্ত কৰা। বেজবৰুৱাই সর্বভাৰতীয় পর্যায়ত শঙ্কৰদেৱক প্রতিষ্ঠা কৰাৰ প্রথম পদক্ষেপ গ্রহণ কৰিছিল।

অসমীয়া সাহিত্যৰ সমৃদ্ধিশালী যুগ হ'ল আৱাহন যুগ। ১৯২৯ চনত প্রতিষ্ঠাপিত আৱাহনৰ মূল লক্ষ্য আছিল দেশপ্রেম আৰু বিশ্ব সাহিত্যৰ লগত অসমীয়া পাঠকৰ এক নিবিড় সম্পর্ক গঢ় দিয়া। আৱাহনতে অসমীয়া গল্পৰ বিস্তৃতি ঘটে। অসমীয়া জা ই যে পাঁচ হেজাৰ বছৰীয়া ভাৰতীয় সভ্যতা-সংস্কৃতি-পৰম্পৰাৰ এক অবিচ্ছেদ্য অংগ, সেই শাশ্বত কাহিনী সেই আলোচনীৰ বিভিন্ন ৰচনাত প্রকাশিত হৈছিল। অসমীয়া সাহিত্যত এক পৰম শক্তিশালী যুগৰ সৃষ্টি কৰা ৰামধেনু আলোচনীতে অসমীয়া আধুনিক সাহিত্য প্রস্ফুটিত হয়। দেশৰ স্বাধীনতাৰ ঠিক পিছতে মানুহৰ মনত যি অন্তহীন আশা আৰু প্রত্যয়ৰ সৃষ্টি হৈছিল, তাৰে পৰিপূর্ণ বিকাশ ঘটিছিল ৰামধেনুৰ ৰচনাত। আনহাতেদি বিশ্ব সাহিত্যৰ অনুপ্রেৰণাত অসমীয়া সাহিত্যত বিশ্বজনীন সুৰ ফুটি উঠে এই আলোচনীতে। জয়ন্তী, পছোৱা আদি আলোচনী প্রগতিশীল চিন্তা-ধাৰাৰ আছিল আলোকসন্ধানী বাহক।

দেশৰ স্বাধীনতাৰ পূর্বৰ সেই সুদীর্ঘকালৰ ভালেমান অসমীয়া বাতৰিকাকতে একেলগে স্বাধীনতা আৰু অসমৰ স্বতন্ত্র মর্যাদাৰ বাবে সংগ্রাম কৰিছিল, কিন্তু কোনো এখন কাকতেই বিচ্ছিন্নতাবাদক প্রশ্রয় নিদিছিল। অৰুনোদইক বাদ দি 'দি আসাম নিউচ'ৰ (১৮৮২-৮৫) পৰা 'জনমভূমি'লৈকে (১৯৪৭) এই তিনিকুৰি পাঁচ বছৰৰ অসমীয়া কাকতত সামাজিক, ৰাজনৈতিক, সমাজতান্ত্রিক, আর্থিক জীৱন সর্বতোপ্রকাৰে প্রতিফলিত হৈছিল। চন্দ্রকুমাৰ আগৰৱালাৰ দ্বাৰা প্রতিষ্ঠাপিত অসমীয়াৰ মূল মন্ত্র আছিল "স্বর্গতো অধিক জনমভূমি।" দেশৰ স্বাধীনতাই আছিল এই কাকতৰ প্রাণ। "ৰাইজৰ দূতস্বৰূপে সদায় সচেতন থাকি, অন্যায়-অত্যাচাৰ আসোঁৱাহ, অভাৱ, অসুবিধা উলিয়াই দি দুখ-দর্দশাৰ কাৰণ ঘুকটি প্রকাশ কৰি উচিত বিধি-ব্যৱস্থাৰ আলোচনা কৰি দেশ-বিদেশৰ ন ন কথা বিচাৰি দেশক মঙ্গলৰ বাটত আগবাঢ়িবলৈ" কৰা সংকল্পৰে এই অসমীয়া কাকত ১৯১৮ চনত প্রতিষ্ঠা হয়। দেশৰ স্বাধীনতাৰ বাবে সংগ্রাম কৰাৰ লগতে সমাজৰ অন্যায়-অত্যাচাৰ-আসোঁৱাহৰ বিৰুদ্ধেও এই কাকত অতন্দ্র প্রহৰীৰ দৰে জাগ্রত আছিল। অম্বিকাগিৰী ৰায়চৌধুৰীয়ে নিজৰ কাকতত একেলগে ভাৰতৰ স্বাধীনতা আৰু অসমৰ স্বতন্ত্রতাৰ বাবে ক্লান্তিহীন সংগ্রাম কৰিছিল, কিন্তু তেওঁ কোনোপধ্যে বিচ্ছিন্নতাবাদী নাছিল। ভাৰতৰ মাজত অসমক যোগ্যভাৱে প্রতিষ্ঠা কৰাই আছিল তেওঁৰ জীৱনৰ সাধনা।

কিন্তু স্বাধীনতাৰ কেইবছৰমান পিছতে অসমৰ বাতৰিকাকত লাহে লাহে এক উদ্যোগলৈ ৰূপান্তৰিত হ'ল। বাতৰিকাকতৰ প্রেক্ষাপটত দুর্যোৰ পৰিবর্তন ঘটিল। ৰাজনৈতিক জীৱনত দ্রুত গতিৰে দুর্নীতি সোমাল। ৰাজনৈতিক জীৱনত মূল্যবোধৰ

তুমুল গড়াখহনীয়া ঘটিল। গণতান্ত্রিক জীৱন কলুষিত হ'ল। মানুহৰ গুণগত উৎকৰ্ষ নঘটোৱাকে বিত্ত আৰু বৃত্তিৰে মানুহক প্ৰলোভিত কৰাৰ পৰিণামত গণতন্ত্ৰৰ মহিমা প্ৰায় বিগত হ'ল আৰু ৰাজনৈতিক নেতৃত্বৰ ওপৰত জনসাধাৰণৰ বিশ্বাস কমি আহিল। আমাৰ দেশত ৰাজনৈতিক চৰিত্ৰৰ ওপৰত সামাজিক চৰিত্ৰ বহু পৰিমাণে নিৰ্ভৰ কৰে। পাশ্চিমীয়া উন্নত দেশত বেছি সংখ্যক জনসাধাৰণৰ ওপৰত, বুদ্ধিজীৱী-সাহিত্যিক, শিল্পী-শিক্ষকৰ ওপৰত ৰাজনীতিৰ প্ৰভাৱ ব্যাপক নহয়। কিন্তু আমাৰ দেশৰ মানুহ দৰিদ্ৰ হোৱা হেতুকে আৰ্থিক আৰু অন্যান্য সুবিধাৰ বাবে জনসাধাৰণ ওচৰ চাপিবলগীয়া হয় সঘনে শাসক আৰু ৰাজনীতিবিদৰ। জনসাধাৰণৰ আৰ্থিক জীৱনৰ ওপৰত ৰাজনীতিত থকাসকলৰ ইমান প্ৰবল প্ৰভাৱৰ বাবেই আমাৰ ৰাজনৈতিক জীৱন দুৰ্নীতিগ্ৰস্ত হ'লে ৰাজহুৱা জীৱনো দুৰ্নীতিগ্ৰস্ত নোহোৱাকৈ নাথাকে। ৰাজনীতিৰ এই দিশটোৰ অনুসন্ধান আৰু বিবেচনা হৈ পৰিছে বৰ্তমান বতৰিকাকতৰ মূল লক্ষ্য। ৰাজনৈতিক আৰু সামাজিক জীৱনৰ গড়াখহনীয়াৰ এই অশান্ত সময়ৰ সাংবাদিকসকল কেতিয়াও নীৰৱে থাকিব নোৱাৰে।

বাতৰিকাকতৰ এক নতুন চমকপ্ৰদ আংগিক আৰু কৌশল বৰ্তমান আমাৰ দৃষ্টিলৈ আহিছে। সাংবাদিকজনে ঘটনা এটাৰ বাতৰিৰ লগতে তাৰ সামাজিক প্ৰাসঙ্গিকতা, আবেগিক উত্তেজনা, প্ৰতিক্ৰিয়া আৰু লগতে নিজৰ অভিমতো প্ৰকাশ কৰে। বাতৰিৰ মাজত এই গল্পৰ ৰস আৰু কল্পনাৰ প্ৰৱেশে একেশ শতিকাৰ সাংবদিকতাক প্ৰবলভাৱে প্ৰভাৱিত কৰিব বুলি আমাৰ দৃঢ় ধাৰণা। একেশ শতিকাৰ ইলে"নিক মাধ্যম টেলিভিশ্বন, ভি.ডি.অ'ই বাতৰিকাকতক সম্পূৰ্ণ অধিকাৰ কৰিব বুলি যি আশঙ্কা কৰা হৈছে, সেই আশঙ্কা সম্পূৰ্ণ অমূলক। আজি বহু দিন ধৰি সমগ্ৰ পৃথিবীত এটা ব্যাপক তৰ্ক চলিছিল : ইলে"নিক মাধ্যমে গ্ৰন্থ নামৰ সংস্কৃতিটোক একেবাৰে ধ্বংস কৰিব নেকি? কিন্তু ধ্বংস কৰিব নোৱাৰিলে। গ্ৰন্থ অধ্যয়ন কৰা লোকৰ সংখ্যা হয়তো কমিল, এক সংখ্যক লিখকে টিভি আৰু চিনেমাত যোগ দিলে, কিন্তু গ্ৰন্থৰ মৃত্যু নঘটিল। শব্দৰ মাহিমাক লোপ কৰিব নোৱাৰে কোনেও। তেনেদৰে ইলে"নিক মাধ্যমেও বাতৰিকাকতক অতিক্ৰম কৰিব নোৱাৰে। টি ভি, ভি.ডি.অ'ৰ আবেদন সীমিত, খন্তেকীয়া। টিভিত প্ৰচাৰিত বাতৰিৰ সবিশেষ জানিবৰ বাবেও বাতৰিকাকত অপৰিহাৰ্য। মানুহৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিষয়ৰ বিশ্লেষণ বাতৰিকাকতৰ বাহিৰে অন্য প্ৰচাৰ মাধ্যমে ইমান ব্যাপকভাৱে কৰাটো অসম্ভৱ।

একেশ শতিকাৰ প্ৰথম দশকমানতে অসমত সন্ত্ৰাস দ্ৰুত গতিৰে কমি আহিব। মানুহে অনন্তকাল বন্দুকৰ গুলীৰ শব্দ শুনি নাথাকে। মহাসমৰ এখন এদিন অন্ত হোৱাৰ দৰে, কেইবছৰমানৰ আগৰ সন্ত্ৰাস-বিধ্বস্ত পঞ্জাব বৰ্তমান ভাৰতৰ অতি শান্তিপূৰ্ণ ৰাজ্য হোৱাৰ দৰে, বন্দুকৰ গুলীৰ শব্দও ধীৰে ধীৰে ম্লান হৈ আহিব। সন্ত্ৰাসৰ ভয়ঙ্কৰ পৰিণতিত সন্ত্ৰস্ত অসমবাসীৰ এতিয়া একমাত্ৰ কাম্য হ'ল শান্তি। সন্ত্ৰাসৰ বাতৰি নহ'লে কাকতৰ শ্ৰেষ্ঠ বাতৰি হৈ পৰিব হয় জাতীয় জীৱনৰ তৃণমূল পৰ্যায়ৰ মানুহৰ জীৱনৰ সংস্কৃতি-পৰম্পৰা, আৰ্থিক-সামাজিক, সমাজতান্ত্ৰিক আদি ইতিবাচক দিশৰ কথা নহয় দুৰ্নীতি, মূল্যবোধৰ অবলুপ্তিৰ চাঞ্চল্যৰ ঘটনা। যিহেতু ৰাজনীতি নিয়ন্ত্ৰণ কৰিবৰ বাবে আজি কোনো মূল্যবোধসম্পন্ন ৰাজনৈতিক নেতৃত্ব নাই, বাতৰিকাকতে সেই নেতৃত্ব অধিকাৰ নকৰাকৈ নেথাকিব।

গণতন্ত্ৰৰ চাৰিটা স্তম্ভৰ ভিতৰত চৰকাৰ আৰু সদনৰ অৱস্থা ভাৰতত আজি অতি দুখলগা। চৰকাৰৰ ক্ষমতাহীনতা আৰু অবিশ্বাস্যতা আৰু সদনবোৰৰ শেষহীন কন্দলে দেশবাসীক ম্ৰিয়মাণ কৰিছে। আদালতৰ সৰ্বেসৰ্বা ক্ষমতাও সদায় নাথাকিব। গতিকে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বাতৰিকাকত হৈ পৰিব একেশ শতিকাত ভাৰতত অতি শক্তিশালী মাধ্যম। সেই শক্তি আহৰণৰ বাবে অসমৰ সাংবাদিকসকলেও নিজক সৰ্বতোভাবে প্ৰস্তুত নকৰাকৈ নাথাকিব।

আজিকালি কাকতত কেবল প্ৰতিদিনৰ বাতৰিয়েই প্ৰকাশ নহয়। বিভিন্ন বিষয়ৰ সাহিত্য সংস্কৃতি কলা অৰ্থনীতি ৰাজনীতি স্বাস্থ্য চলচিত্ৰ সম্পৰ্কীয় বাতৰিও ব্যাপকভাৱে প্ৰকাশিত হয়। সেই ধৰণৰ এখন বাতৰিকাকত এতিয়া সাহিত্য-আলোচনীৰ সম্মুখত প্ৰত্যাহ্বানস্বৰূপে দেখা দিছে।

পৰম্পৰাগতভাৱে, সাংবাদিকতাৰ মূল লক্ষ্য হ'ল সত্যানুসন্ধান, অন্যায়-অবিচাৰৰ বিৰুদ্ধে ক্লান্তিহীন সংগ্ৰাম আৰু মানুহৰ সমস্যাৰ বিষয়ে মানুহৰ ধাৰণা গাঢ় কৰা। সাংবাদিক সৰ্বদায় গণতন্ত্ৰৰ সপক্ষে : আন অনেকৰ দৰে গণতন্ত্ৰ সাংবাদিকৰ বাবে এক বৃত্তিগত অথবা আবেগিক কৌশল হ'ব নোৱাৰিব : সাংবাদিকৰ বাবে সত্যানুসন্ধান আৰু গণতন্ত্ৰ হ'ব লাগিব এক

দর্শন আৰু বিশিষ্ট চৰিত্ৰ। গণতন্ত্ৰৰ মৰ্যদা সমাজৰ তৃণমূল পৰ্যায়ৰ মানুহৰ শক্তিৰ ওপৰত নিৰ্ভৰশীল। গণতন্ত্ৰ আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধতা কাকতৰ প্ৰাণস্বৰূপ হোৱাৰ বাবে প্ৰকৃত সাংবাদিক সকলো ধৰণৰ সন্ত্ৰাস, ভীতি-প্ৰদৰ্শন আৰু গণবিৰোধী ব্যৱস্থাৰ দুৰ্যোৰ বিৰোধী। বাতৰিকাকতৰ মূল সম্পদ হ'ল বিশ্বাসযোগ্যতা। সেয়েই হ'ল তাৰ জীৱনীশক্তি। যেতিয়াই পাঠকে উপলব্ধি কৰিবলৈ আৰম্ভ কৰিব কাকতে তাৰ বিশ্বাসযোগ্যতা হেৰুৱাইছে, তেতিয়াই সেই কাকতৰ প্ৰতি মানুহৰ আস্থা দ্ৰুত গতিৰে লোপ পাব। পাঠকে কোনো এক বিষয়ে কি জনা উচিত তাতকৈ সেই বিষয়ে পাঠকে কি জানি আনন্দ পায়, তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিলে নিৰপেক্ষ পাঠক কোনো এক বিশেষ ঘটনাৰ বিষয়ে সম্পূৰ্ণ তথ্য জনাৰ পৰা বঞ্চিত হয়। মানুহে যিটো পঢ়ি ভাল পায় সেইটো হ'ল বাতৰি, কিন্তু মানুহে যিটো পঢ়াটো অপৰিহাৰ্য সেইটো হ'ল সংস্কৃতি।

দহ

অসম সাহিত্য সভাৰ শাখাবোৰক প্ৰভূত দায়িত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনাও। নিজ নিজ অঞ্চলত সভাৰ সদস্যসকলে এক সৃষ্টিৰ পৰিবেশ গঢ় দিবলৈ নিজক ব্ৰতী কৰক। সেই অঞ্চলৰ মানুহে হৃদয়েৰে উপলব্ধি কৰক, সাহত্য সভাৰ সদস্য হ'ল সৃষ্টি আৰু শান্তি-সম্প্ৰীতিৰ প্ৰতীক। তেওঁৰ ওপৰত সম্পূৰ্ণ আস্থা স্থাপন কৰিব পাৰি। সেই পৰিবেশ গঢ় দিয়াৰ উৎকৃষ্ট মাধ্যম হ'ল সাহিত্য। বিভিন্ন জাতি-সম্প্ৰদায়ৰ মাজত সাহিত্যৰ মাজেৰে যি সম্পৰ্কই গঢ় লয় সেই সম্পৰ্ক সদায় স্থায়ী হয়। মহাপুৰষ সকলৰ ৰচনাৰ তাত্ত্বিক আৰু ৰসাত্মক ব্যাখ্যা, ভাৰতীয় আৰু পৃথিৱীৰ সাহিত্যৰ লগত এক নিৰবচ্ছিন্ন সম্পৰ্ক, মানুহক কেৱল মানুহৰূপে শ্ৰদ্ধা কৰাৰ মানসিকতা সম্পৰ্কে সেই অঞ্চলৰ লিখক-অধ্যাপক আৰু শুভবুদ্ধিসম্পন্ন লোকৰ মাজত নিবিড় আলোচনা সাহিত্য সভাৰ শাখাবোৰে প্ৰগাঢ় কৰি তুলিব লাগিব। সন্ত্ৰাসৰ আতঙ্ক আৰু প্ৰতিদিনৰ অনিশ্চয়তাৰ গ্ৰাসত নিমজ্জিত স্থানীয় লোকক এক আশা আৰু প্ৰতিশ্ৰুতিৰ নেতৃত্ব দিবৰ বাবে শাখা সাহিত্য সভাৰ সদস্যসকল মানসিকভাৱে জাগ্ৰত হোৱাৰ সময় হ'ল।

সাহিত্য সভাৰ প্ৰত্যেকখন শাখা সমিতিয়ে এবছৰত নোৱাৰিলেও দুই তিনি বছৰৰ অন্তৰে একাধিক গ্ৰন্থ প্ৰকাশ কৰিবলৈ দৃঢ়বদ্ধ হ'ব লাগিব। তাৰে প্ৰথম খন গ্ৰন্থ হব লাগিব সেই অঞ্চলৰ মানুহৰ একোখন ইতিহাস। নিজৰ বিস্তীৰ্ণ অঞ্চলৰ মানুহৰ ইতিহাস প্ৰণয়নৰ কাম শাখাবিলাকে নিজৰ সকলো আশা প্ৰতিশ্ৰুতিৰে সম্পূৰ্ণ কৰিব লাগিব। নিজৰ অঞ্চলৰ প্ৰকৃত পৰিচয় অথবা আইডেনটিটিৰ কাহিনীয়ে এখন স্থানৰ সৃজনীশক্তিৰ আলোকসন্ধানী পৰিচয় দাঙি ধৰে। তেনে ইতিহাস এতিয়াই প্ৰস্তুত নকৰিলে সেই কাহিনী কালক্ৰমত বিকৃত হোৱাৰ সম্ভাৱনা প্ৰকট। অসমৰ বিভিন্ন স্থানৰ মানুহৰ মাজত যি অমৃত শক্তি আৰু সম্ভাৱনা গুপ্ত হৈ আছে, সেই শক্তিৰ যথাৰ্থ প্ৰকাশ ঘটিব তেনে একোখন মানুহৰ ইতিহাসৰ মাজেৰে। শব্দৰ শক্তিৰ মাজেৰে মানুহে যেতিয়া নিজৰ ইতিবৃত্তৰ সন্ধান পাব, তেতিয়া মানুহে নিজৰ জীৱন অধিক সমৃদ্ধ কৰিবৰ বাবে সৃষ্টিশীল কাৰ্যত নিজকে ব্ৰতী কৰিবলৈ অফুৰন্ত শক্তিৰ অধিকাৰী হ'ব পাৰিব। মানুহৰ এই আঞ্চলিক ইতিহাসে সমগ্ৰ অসমৰ মানুহৰ ইতিহাস নিৰ্মাণ কৰিবলৈ অনুপ্ৰেৰণা যোগাব।

মোৰ একান্ত বিশ্বাস, প্ৰতি সাহিত্য সভাৰ তেনে গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত ধনৰ অভাৱ নহ'ব। অসমৰ বিভিন্ন অঞ্চলৰ মই এনে অনেক সহৃদয় লোকক লগ পাইছো যি নিজৰ ভাষা-সাহিত্যৰ বিকাশৰ বাবে সামান্য হ'লেও বৰঙণি আগবঢ়াবলৈ উৎসাহিত অথবা আনন্দিত নহয়। কিন্তু তেওঁলোকক এই প্ৰতিশ্ৰুতি দিব লাগিব যে সাহিত্য সভাৰ নামত আগবঢ়োৱা প্ৰত্যেকটো টকাৰ হিচাব সত্যভাবে ৰক্ষিত হব আৰু এটা টকাও কৰা নহ'ব অপব্যয়।

এঘাৰ

অসমৰ সৃষ্টিশীল যুৱক-যুৱতীসকলক অসম সাহিত্য সভাত যোগ দি এই ঐতিহাসিক অনুষ্ঠানটোক ভাবে-ব্যঞ্জনাই পৰম শক্তিশালী কৰি তুলিবলৈ মই ঐকান্তিক আশা আৰু প্ৰত্যয়ৰে আহ্বান জনালো। অসম সাহিত্য সভা কেৱল প্ৰবীণসকলৰহে অনুষ্ঠান, এই কথা সত্য নহয়। একালত এই সভাৰ মহাপ্ৰাণ উদ্যোক্তাসকল নবীনেই আছিল। কলিকতাৰ কলেজত পঢ়িবলৈ যোৱা তিনিজন যুৱক, লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীয়ে আধুনিক অসমীয়া সাহিত্য প্ৰতিষ্ঠা কৰিলে। তেওঁলোকে প্ৰকাশ কৰা 'জোনাকী' আলোচনী অসমৰ জাতীয় জীৱন আৰু সাহিত্যৰ এক জীৱনীশক্তি : সেই

আলোচনীৰ দ্বাৰা ভাষা-সাহিত্যৰ সেৱাত অসমীয়া লিখকক দায়বদ্ধ কৰা হ'ল। সেইসকল যুৱকৰ উদাহৰণে আজিৰ যুৱক সম্প্রদায়ক উদ্বেলিত নকৰাকৈ নেথাকিব।

সাহিত্যত নতুন চিন্তা, নতুন অভিজ্ঞতাৰ সমাবেশ নহ'লে সাহিত্যৰ গতি ৰুদ্ধ হৈ যায়। অসমৰ, ভাৰতৰ আৰু বিশ্বৰ সাহিত্যৰ ইতিহাসত তেনে উদাহৰণ অনেক আছে। যেতিয়াই সাহিত্যত নান্দনিক ৰসৰ অভাব ঘটে, প্রবীন লিখকৰ ওচৰত ক্লান্তি আৰু সীমাবদ্ধতাৰ চিহ্ন প্রকট হৈ পৰে, পাঠক যেতিয়া উত্তেজিত হয় সাহিত্যত এক নতুন সুৰ শুনিবৰ বাবে, তেতিয়া নবীন লিখকে পৰম বিশ্বাস আৰু প্রতিশ্রুতিৰে সেই শূন্যতা পূৰণ কৰে।

অসমৰ যুৱক-যুৱতী সাহিত্যিকসকলৰ স্থিতি বর্তমান অত্যন্ত শক্তিশালী। কবিতা আৰু গল্পৰ ক্ষেত্রত তেওঁলোকৰ প্রতিভা চমকপ্রদ। কবিতাৰ ক্ষেত্রত তেওঁলোকৰ কাব্যিক ব্যক্তিত্বৰ উত্তৰণ এই যুগৰ এক আলোকসন্ধানী কাহিনী। কিছুদিনৰ আগৰ ব্যক্তিকেন্দ্রিক সুৰ অতিক্রম কৰি তেওঁলোকে সমাজৰ প্রতি নিজৰ দায়বদ্ধতা মানি লোৱাৰ মাজেৰে তেওঁলোকৰ কবিতাই আমাৰ মানসত তীব্র আলোড়ন সৃষ্টি কৰিছে। বিদেশী ভাবধাৰাৰ দ্বাৰা নিয়ন্ত্রিত নহৈ তেওঁলোকে অসমৰ মানুহৰ জীৱন-সংস্কৃতি-মাটি-পানী-বায়ুৰ পৰাই কবিতাৰ সমল লৈ নিজৰ অভিজ্ঞতাৰে কবিতাৰ উপমা-চিত্রকল্প-প্রতীকৰ আৱিষ্কাৰত সার্থকতা লাভ কৰিছে। অসমীয়া কবিতাক তেওঁলোকে দান কৰিছে এক চৰিত্র আৰু দর্শন। কবিতা হ'ল সাহিত্যৰ জীৱনীশক্তি, নির্যাস। আমি সকলোৱেই কবিতাৰ সন্তান। সাহিত্যৰ ৰসজ্ঞসকলে কেইটামান কবিতা পঢ়িয়েই সেই ভাষাৰ সাহিত্যৰ গতি নির্ণয় কৰিব পাৰে। এই কথা সত্য, কোনো সাহিত্য সভায়েই কোনো সার্থক লিখকক সৃষ্টি কৰিব নোৱাৰে । প্রতিভা হ'ল এজন সাহিত্যিকৰ একমাত্র সম্পদ। কিন্তু সাহিত্য সৃষ্টিৰ বাবে এক সৃষ্টিৰ পৰিবেশ সাহিত্যিকসকলেই নির্মাণ কৰি লয়। তেনে এক পৰিবেশ সৃষ্টিৰ বাবে নতুন লিখক-লিখিকাই সাহিত্য সভাক নতুন দৃষ্টিৰে গ্রহণ কৰক।

জাতীয়তাবদৰ সঙ্কীর্ণ পৰিসীমা অতিক্রম অসমৰ যুৱক-যুৱতীসকলে পৃথিৱীৰ সাহিত্য সংস্কৃতি-চিন্তা-বিজ্ঞান-দর্শনৰ লগত নিজৰ সম্পর্ক নিকট কৰিব লাগিব। তাৰ বাবে অপৰিহার্য হ'ল অপৰিসীম অধ্যয়ন। নিৰবচ্ছিন্ন সাধনা, নিজৰ দায়িত্ব পালন আৰু নিজৰ সৃষ্টিক নিজৰ জীৱনৰ সমার্থক কৰিব পাৰিলেহে তেওঁলোকৰ জীৱন সমৃদ্ধ হ'ব। নবীন সকলৰ সাহিত্য-সৃষ্টিৰ আলোচনাৰ বাবে সাহিত্য সভাৰ অধিবেশনৰ এক সম্পূর্ণ দিন আছুতীয়াকৈ থ'ব লাগে। সাহিত্য সভাই তেওঁলোকৰ কবিতা আৰু গদ্যৰ দুটা বৃহৎ গ্রন্থৰ প্রকাশৰ দায়িত্ব ল'ব লাগিব।

বাৰ

বর্তমানৰ অসমীয়া সাহিত্যত প্রাণ-প্রাচুর্যৰ অভাব ঘটাটো পৰিলক্ষিত হৈছে। এক ক্লান্তিৰ গতানুগতিকতাৰ ভাবে যেন আমাৰ সাহিত্যক আচ্ছন্ন কৰিছে। বেছি ভাগ গদ্য-সাহিত্য অতীতমুখী হৈছে : অতীতৰ কাহিনীয়ে যিমান প্রাধান্য লাভ কৰিছে, তাৰ তুলনাত নতুন দর্শন-চিন্তাৰে ৰচিত ৰচনাৰ মান যথেষ্ট পৰিমাণে হ্রাস পাইছে। এই কালৰ আমাৰ সাহিত্যৰ ঐতিহাসিকে এই কথা যদি ঘোষণা কৰে যে বর্তমানৰ আমাৰ সাহিত্য প্রকৃততে কি হ'ব পাৰিলেহেঁতেন তাৰ বাবেহে প্রখ্যাত, তেতিয়া সেই ঘোষণাৰ প্রত্যাহ্বানৰ বাবে আমাৰ শক্তি নেথাকিব। নতুন চিন্তা আৰু নতুন অভিজ্ঞতাৰ কষটি শিলত পৰীক্ষিত নহলে সাহিত্যৰ গতি ৰুদ্ধ নোহোৱাকৈ নেথাকে। আমাৰ সাহিত্যৰ বর্তমান স্থিতি কিয় এনে হৈছে, অপৰিহার্য অধ্যয়নৰ অভাৱত নে জীৱনৰ অভিজ্ঞতাক লিখকে নিজৰ জীৱনৰ অভিজ্ঞতাত পৰিণত কৰিব নোৱাৰাৰ বাবে হৈছে, মানুহৰ জীৱনৰ স্রোতৰ লগত লিখকে নিজক একাকাৰ কৰিব নোৱাৰাৰ বাবে হৈছে নে বিশাল বিশ্বৰ সৃষ্টি-চিন্তাৰ লগত লিখকৰ একাত্ম বোধ নোহোৱাৰ বাবে হৈছে, সেই কথা সাহিত্যিকসকলে গভীৰ অন্তর্দৃষ্টিৰে চিন্তা কৰিবৰ সময় হ'ল। বিশেষকৈ সাহিত্যৰ একান্ত সমালোচকসকলে এই বিষয়ে সত্য দিশ নির্ণয় কৰাৰ প্রকৃত সময় হ'ল।

বর্তমানৰ সন্ত্রাস-অনিশ্চয়তা-সংশয়-মূল্যবোধহীনতাৰ দু বন্ত কালত কালোত্তীর্ণ সাহিত্য সৃষ্টি সম্ভৱ নহয় বুলি যিসকলে ভাবে, তেওঁলোকে সাহিত্যৰ সত্য সম্যকভাৱে, উপলব্ধি কৰিব নোৱাৰা যেন ভাব হয়। মানৱ সমাজ কোনো কালেই সুদীর্ঘ কাল শান্তিৰ মাজত তিষ্ঠি থকা নাছিল। পৃথিৱীৰ শ্রেষ্ঠ ৰচনাৰাজিয়েই তাৰ প্রমাণ। সন্ত্রাস আৰু সংঘাত, নিগনিচকল জীৱনৰ তাড়না আৰু মৃত্যুৰ আশঙ্কা সমাজত যিমানে বেছি হয়, তেতিয়া সেই সত্যানুসন্ধানী সাহিত্যিককেইজনৰ লিখনি সিমানে

অপ্রতিৰোধ্য হৈ উঠে ঃ কাৰণ তেওঁলোকৰ লক্ষ্য হ'ল মানুহক মানুহৰে অমৃত কাহিনী শুনোৱা, মানুহক, ৰবীন্দ্রনাথৰ সুৰতে, এই বাণী শুনোৱা যে বিপদত কোনোবাই ৰক্ষা কৰাতকৈ সেই বিপদলৈ যাতে মানুহে ভয় নকৰে। জীৱন-যুদ্ধত মানুহ ক্লান্ত হ'ব পাৰে, হ'ব পাৰে নিঃশেষ, কিন্তু মানুহ অপমানিত আৰু পৰাজিত হ'ব নোৱাৰে। মহৎ সাহিত্যৰ সেয়া হ'ল অভয় বাণী।

হেজাৰ বিপদৰ মাজতো আমি এইবোৰ কাহিনী পাহৰি যাব নোৱাৰিম ঃ এক সৰ্বগ্রাসী বিশাল মহাভাৰতীয় যুদ্ধৰ মধ্যস্থানত সৃষ্টি হৈছিল গীতাৰ। ৰাবণৰ শ্বাসৰুদ্ধ লঙ্কাতে ৰামচন্দ্রৰ মুখেদি উচ্চাৰিত হৈছিল সই অমৃত বাণী ঃ জননী জন্মভূমিশ্চ স্বর্গাদপি গৰীয়সী। স্পেইনৰ গৃহযুদ্ধত যোগ দি হেমিংৱেই লিখিছিল সেই ৰণসর্বস্ব উপন্যাস 'ফৰ হুম দী বে'ল টলছ' আৰু তেওঁ সেই উপন্যাসৰ নামটো আহৰণ কৰিছিল। অতীন্দ্রিয় কবি জন ডনৰ পৰা, যিজনে এই কথা তেওঁৰ কবিতাত এনেদৰে কৈছে যে বাহিৰত মৃত্যুৰ ঘণ্টা কাৰ বাবে বাজিছে শুনিবলৈ নেযাব, সেই মৃত্যুৰ ঘণ্টা তোমাৰ নিজৰ বাবেই বাজিছে। শংকৰদেৱে কি পৰম শান্তিৰে মাত্র এঠাইতে বহি তেওঁৰ অবিনশ্বৰ পদৰাশি ৰচনা কৰিছিল? বঙ্গ-ভঙ্গৰ তুমুল আলোড়ন কালত ৰবীন্দ্রনাথে লিখিছিল সেই বিখ্যাত উপন্যাস 'ঘৰে-বাইৰে' যিখনৰ মূল সুৰটো আছিল হিংসাৰ বিৰুদ্ধে অহিংসাৰ বিজয় ঘোষণা। মহাত্মা গান্ধী দক্ষিণ আফ্রিকাৰ পৰা ভাৰতলৈ প্রত্যাবর্তন কৰাৰ দহ বছৰৰ পূর্বেই ৰবীন্দ্রনাথে অহিংসাৰ বিজয় ঘোষণা কৰিছিল। জৱাহৰলাল নেহৰুৱে তেওঁৰ বিখ্যাত গ্রন্থ 'গ্লিমছেছ অৱ ৱর্ল্ড হিষ্ট্রী' আৰু আত্মজীৱনী ৰচনা কৰিছিল কাৰাগাৰত।

সন্দেহ নাই, অসমত মৃত্যুৰ আতঙ্কই মানুহক আজি পদে পদে আতঙ্কিত কৰিছে। ক'লৈকো মূৰ তুলি চাব নোৱাৰি, চাৰিওফালে মৃত্যু আৰু আতঙ্কৰ কাহিনী। এনে এক সময়ত সত্যান্বেসী আৰু মানুহৰ মাজত নিহিত দুর্বাৰ শক্তিত বিশ্বাসী সাহিত্যিকসকল কোনোপধ্যে নীৰৱ হৈ থাকিব নোৱাৰিব। চকুৰ আগত প্রতিদিনে মৃত্যু-নৃশংসতাৰ দৃশ্য দেখি আৰু কাহিনী শুনি মৃত্যুৰ লগত আৰু নৃশংসতাৰ লগত লিখকসকলৰ সম্পর্ক সহজ হৈ পৰে। মৃত্যুৰ নিকট হৈ মৃত্যুক কোন সত্যানুসন্ধানী সাহিত্যিকে ভয় কৰিব? সেই মৃত্যুৰ মাজৰ পৰাই ছাইৰ মাজৰ পৰা ফিঙ্ক চৰায়ে পুনর্জীৱন পোৱাৰ দৰে, জীৱনক তাৰ অপৰিমেয় প্রত্যয়েৰে জাগ্রত কৰিবলৈ আমাৰ সাহিত্যিকসকল উদ্বুদ্ধ নোৱোহাকৈ নেথাকিব।

এনে প্রতিদিনৰ আতঙ্কৰ পৰা মানুহক উদ্ধাৰ কৰাৰ বাবে অসমৰ সাহিত্যিকে আতঙ্কগ্রস্ত লোকক শুনাব লাগিব সৃষ্টিৰ অপৰিমেয় ক্ষমতাৰ কাহিনী। আতঙ্কৰ কাষত আত্ম-সমর্পন নৈব নৈব চ ঃ এয়া হ'ল মানুহৰ জীৱনৰ প্রতি পৰম আস্থাশীল লিখকৰ অভয় বাণী। মানুহৰ জীৱনলৈ সন্ত্রাস আহে, আহে আতঙ্ক, অনিশ্চয়তা, সেই কথা সত্য। কিন্তু শেষ সত্য নহয়। মানুহৰ জীৱনৰ শেষ সত্য হ'ল মানৱতাবোধ-প্রেম-উদাৰতা-ঐকান্তিক প্রীতি। পৃথিৱীৰ মহৎ পর্যায়ৰ ট্রেজেদীবোৰেও অৱশেষত সেই বাতৰিকে বহন কৰি আনে।

সন্ত্রাস-অনিশ্চয়তা-অবিশ্বাসৰ বিপৰীতে সেই আশা-প্রতিশ্রুতি আৰু বিশ্বাসৰ কাহিনী শুনিবলৈ আমাৰ পাঠকসমাজ সাজু হৈ আছে। সাহিত্যিকসকলে যেন তেওঁলোকক হতাশ নকৰে। বহুকাল ধৰি এতিয়াৰ দৰে অসমৰ পাঠকে সাহিত্যত এক নতুন সুৰ শুনিবৰ বাবে ইমান অত্যুগ্র আগ্রহেৰে অপেক্ষা কৰি থকা নাছিল।

তেৰ

ৰবীন্দ্রনাথৰ বিখ্যাত কবিতা 'শা-জাহান'ৰ এক অনুপম ফাকি হ'ল ঃ "তোমাৰ কীর্তিৰে চেয়ে তুমি যে মহৎ, তাই তব জীবনেৰ জীবনেৰ ৰথ পশ্চাতে ফেলিয়া যায় কীর্তিৰে তোমাৰ বাৰম্বাৰ, তাই চিহ্ন তব পৰে আছে তুমি হেথা নাই।" আমাৰ চিন্তাৰে তাৰ তাৎপর্য হ'ল ঃ সম্রাট শ্বাহজাহানৰে সৃষ্টি তাজমহলতকৈ শ্বাহজাহান নিজে অধিক মহৎ নোহোৱা হ'লে তেওঁ তাজমহল নির্মাণ কৰিব নোৱাৰিলেহেঁতেন। সেই সুৰতে কব পাৰি, আমাৰ নেতৃত্বই আজি যিবোৰ বৃহৎ সমস্যাবোৰ সমাধান কৰিব পৰা নাই। সমস্যাৰ পিছত সমস্যাৰ সৃষ্টি হৈছে, কিন্তু সমস্যা সমাধানৰ বাবে যোগ্যতাৰ নেতৃত্বৰ অভাৱৰ বাবে সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে।

অসম সাহিত্য সভাই যিবোৰ গুৰুতৰ সমস্যাৰ সম্মুখীন হ'ব, সেইবোৰ সমাধানৰ বাবে তাৰ নেতৃত্ব সমস্যাতকৈ মহত্তৰ শক্তিৰ অধিকাৰী হ'ব লাগিব। এসময়ৰ পৃথিৱীৰ ভালেমান প্রাচীন বিখ্যাত সভ্যতা কালৰ গ্রাসত লুপ্ত হোৱাৰ পিছত ভাৰতীয় সভ্যতা নিঃশেষ নোহোৱাৰ কাৰণ হ'ল, ভাৰতীয় সভ্যতাই যিকোনো বৃহৎ প্রত্যাহ্বানৰ সম্মুখত পৰাজয় স্বীকাৰ নকৰে ঃ তেনে

প্রত্যাহ্বানৰ সম্মুখৰ নতুন সমস্যাৰ সমাধান কৰাৰ অপ্রতিৰোধ্য শক্তি সেই সভ্যতাৰ বর্তমান। এই কথা সাহিত্য সভাৰ দৰে বিৰাশী বছৰীয়া বিশাল অনুষ্ঠানৰ ক্ষেত্রতো খাটিব। অসম ৰাজ্যৰ সম্মুখত দেখা দিয়া প্রত্যাহ্বানৰ সম্মুখীন হ'বলৈ এই অনুষ্ঠান প্রচণ্ড শক্তিৰ অধিকাৰী হ'ব লাগিব।.

সাহিত্য সভাই ৰাজ্যৰ যিকোনো সমস্যাৰ লগতে নিজক জড়িত কৰিব নোৱাৰে। ইয়াৰ সাহিত্য-সংস্কৃতিৰ চৰিত্রত সেই কথা নিহিত আছে। কিন্তু অসমৰ মানুহৰ জীৱনক আঘাত কৰিব পৰা, অসমৰ মানুহৰ ৰাজনৈতিক অথবা আর্থিক ক্ষমতা অথবা অধিকাৰ বিনষ্ট কৰিব পৰা যিকোনো অথন্তৰৰ বিৰুদ্ধে সাহিত্য সভা এজন মানুহৰ দৰে জাগ্রত হৈ উঠিব। অসমৰ তৃণমূলৰ মানুহৰ অসীম শক্তিয়েই সাহিত্য সভাৰ শক্তি। ইয়াৰ লগত অসমৰ মানুহৰ জীৱনীশক্তি একাকাৰ হৈ আছে।

সর্বভাৰতীয় ক্ষেত্রত অসমীয়া ভাষা-সাহিত্যই যথাযোগ্য সম্মান নোপোৱাটো সত্য। ভাৰতৰ কেইখনমান ৰাজ্যৰ প্রখ্যাত লিখকসকলে সাহিত্যৰ সেই মঞ্চ সদায় অধিকাৰ কৰি থাকে। মোৰ চিন্তাৰে, অসমৰ সাহিত্যিক-বুদ্ধিজীবি সকলেও এই ক্ষেত্রত নিজৰ দায়িত্ব পালন কৰা নাই। নিজৰ ন্যায্য দাবী প্রতিপন্ন কৰিবলৈ সর্বভাৰতীয় ক্ষেত্রত আমাৰ লিখকসকল প্রতিশ্রুতিবদ্ধ হ'ব লাগিব। আমি আমাৰ প্রতিবাদৰ সৃষ্টিশীল কণ্ঠস্বৰ প্রবল কৰিব পাৰিব লাগিব।

অসমৰ মানুহক প্রবঞ্চনা কৰা, উপেক্ষা কৰাৰ মনোভাব সর্বভাৰতীয় ক্ষেত্রত প্রকট হোৱাৰ যথেষ্ট প্রমাণ আছে। এই ক্ষেত্রত অসমক ৰক্ষা কৰাৰ দায়িত্ব অসমৰ মানুহৰ নিজৰ। এই বিশাল দেশখনৰ এক সংখ্যক স্বার্থপৰ, নিষ্ঠুৰ নিজৰ ৰাজ্যৰ উন্নতিত উৎসাহী সর্বভাৰতীয় সংস্কৃতিৰ লগত সম্পর্ক নথকা নেতৃত্বৰ পৰা অসমৰ দৰে সৰু ৰাজ্য এখনে যথার্থ মর্যাদা আৰু সুযোগ নেপাব পাৰে। এই ক্ষেত্রত আমাৰ ন্যায্য দাবী গণতান্ত্রিক উপায়ে সাব্যস্ত কৰিবলৈ অসম সাহিত্য সভাই নিজক ব্রতী কৰিব। কাৰণ, অসমৰ মানুহৰ ন্যায্য দাবী পূৰণৰ লগত এই ৰাজ্যৰ সাহিত্য সংস্কৃতিৰ বিকাশ ওতঃপ্রোত ভাবে জড়িত হৈ আছে।

হে ভাষা জননীৰ সুযোগ্য সন্তানসকল, হে চিন্তাশীল সুধীসকল, আমাৰ হৃদয়ত স্বদেশপ্রেমৰ পুনৰুত্থান ঘটক। আহক, সর্বভাৰতীয় পর্যায়ত অসমক যথাযোগ্য স্থানত উপবিষ্ট কৰিবলৈ আমি ক্লান্তিহীন ব্রতেৰে মহাব্রতী হওঁ। এক বৃহৎ উদ্দেশ্যৰ লগত নিবিড় সম্পর্ক নাথাকিলে মানুহে মহত্ত্বৰ সন্ধান নেপায়। এতিয়া সেই মহৎ উদ্দেশ্য হ'ল বিশ্ব মানৱতাৰ আদর্শেৰে অসমৰ মানুহৰ অপ্রতিৰোধ্য শক্তিৰে অসমত এক সৃষ্টিৰ আৰু স্থায়ী শান্তিৰ পৰিবেশৰ সৃষ্টি কৰা।

চিৰ চেনেহী মোৰ ভাষা জননী।।

-- + --

ষট্‌ষষ্টিতম অধিবেশন

ডিব্রুগড় : ৯ ফেব্রুৱাৰী ২০০১ খ্ৰীঃ

হোমেন ববগোহাঞি

পৰম শ্ৰদ্ধাভাজন সুধীবৃন্দ আৰু সাহিত্যানুৰাগী ৰাইজ, অভ্যৰ্থনা সমিতিৰ মাননীয় সভাপতি প্ৰমুখ্যে সদস্যসকল, অসম সাহিত্য সভাৰ মাননীয় উপ-সভাপতি প্ৰমুখ্যে কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকল আৰু প্ৰতিনিধিবৰ্গ, আজিৰ অধিবেশনৰ উদ্বোধক বিশিষ্ট সাহিত্যিক শ্ৰীলুম্বেৰ দাই, মুখ্য অতিথি ড° উইলিয়াম এল. স্মিথ. বিশিষ্ট অতিথি ড° শিশিৰ কুমাৰ দাস, অসম সাহিত্য সভাৰ মাননীয় প্ৰাক্তন সভাপতি আৰু অন্যান্য বিষয় বিবীয়াসকল —

জয়জয়তে মই আপোনালোক সকলোকে প্ৰণাম জনাইছোঁ আৰু আপোনাসকলৰ আশীৰ্বাদ বিচাৰিছোঁ। মোৰ কান্ধত যি গুৰুদায়িত্ব অৰ্পিত হৈছে তাক পালন কৰিবলৈ আপোনাসকলৰ আশীৰ্বাদেই মোৰ প্ৰধান সম্বল।

মোৰ মূল বক্তব্য ক'বলৈ আৰম্ভ কৰাৰ আগতে কেইটামান ব্যক্তিগত কথা কৈ ল'বলৈ মোৰ মন গৈছে। অৱশ্যে সেই কথা কেইটাৰ লগত মোৰ মূল বক্তব্যৰো কিছু সম্পৰ্ক আছে। আপোনাসকলৰ বহুতেই জানে যে মোৰ ঘৰ উত্তৰ লখিমপুৰ জিলাৰ ঢকুৱাখনাত। ১৯৪৭ চনত মই ডিব্রুগড়লৈ আহি ইয়াৰ চৰকাৰী হাইস্কুলত নাম লগাওঁ। সেই সময়ত ডিব্রুগড় আৰু উত্তৰ লখিমপুৰ এই দুয়োটা মহকুমাকে সামৰি অবিভক্ত লখিমপুৰ আছিল এখন বৃহৎ জিলা। সি যি কি নহওক, মই যি বছৰত ডিব্রুগড়লৈ আহিছিলোঁ সেই বছৰতে — অৰ্থাৎ ১৯৪৭ চনত— এটা যুগান্তকাৰী ঐতিহাসিক ঘটনা ঘটিছিল। সেইটো আছিল ভাৰতবৰ্ষৰ স্বাধীনতা লাভ। মোৰ শৈশৱ আৰু কৈশোৰ লালিত হৈছিল ভাৰতৰ মুক্তি-সংগ্ৰামৰ উন্মাদনাময় ভাৱ-মণ্ডলত, যৌৱন-প্ৰাপ্তিৰ কাৰণে মোৰ প্ৰতীক্ষা আছিল যিমান ব্যাকুল, স্বদেশৰ স্বাধীনতা-প্ৰাপ্তিৰ কাৰণে প্ৰতীক্ষা তাতোকৈ কোনোগুণেই কম ব্যাকুল নাছিল। গতিকে কোৱা বাহুল্য মাথোন যে ১৯৪৭ চনত ১৫ আগষ্টৰ পুণ্য প্ৰভাতত দেশৰ আন সকলো ঠাইৰ দৰে ডিব্রুগড়তো যি স্বাধীনতা-উৎসৱ উদ্‌যাপিত হৈছিল সি মোৰ ভাৱপ্ৰৱণ কিশোৰ হৃদয়ত বিৰাট ভাৱৰ খলকনি তুলিছিল। তাৰ হেন্দোলনি আজিও সম্পূৰ্ণৰূপে মাৰ যোৱা নাই।

১৯৪৭ চনতে ডিব্রুগড় চহৰত আৰু এটা ঘটনা ঘটিছিল। সেইটো আছিল অসম সাহিত্য সভাৰ বিংশতিতম অধিবেশন এপ্ৰিল মাহৰ ৪, ৫, আৰু ৬ তাৰিখে তিনিদিন ধৰি জৰ্জ স্কুলৰ বাকৰিত সেই অধিবেশন অনুষ্ঠিত হৈছিল। মোৰ বাল্যকালতেই অসম সাহিত্য সভাৰ লগত মোৰ পৰিচয় ঘটিছিল, কাৰণ মোৰ জন্মভূমি ঢকুৱাখনাত সাহিত্য সভাৰ এখন অতি সক্ৰিয় শাখা সভা আছিল। দ্বিতীয় জনা অসমীয়া সাহিত্যিক পেনছনাৰ আৰু ডিব্রুগড়ৰ সুসন্তান, "জ্ঞানমালিনী"ৰ অমৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ নামটো সাহিত্যিক পেনছনৰ কাৰণে প্ৰস্তাব কৰিছিল অসম সাহিত্য সভাৰ ঢকুৱাখনা শাখা সভাখনেই। শাখা সভাখনৰ বৈঠক মাজে-সময়ে আমাৰ ঘৰতো বহিছিল। তদুপৰি অসমৰ বিভিন্ন চহৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ কেবাখনো বছৰেকীয়া অধিবেশনত মোৰ দেউতাই ঢকুৱাখনাৰ শাখা সাহিত্য সভাৰ প্ৰতিনিধি হিচাপে যোগ দিছিল। মই যেতিয়া ডাঙৰৰ কথাৰ কিছু ভাগ ল'ব পৰা হলোঁ তেতিয়া দেউতাই মোক সাহিত্য সভাৰ অভিজ্ঞতাৰ কথা বৰ ৰস লগাকৈ কৈছিল। এনেকৈ বাল্যকালৰ পৰাই অসম সাহিত্য সভা মোৰ চেতনাৰ অঙ্গীভূত হৈ পৰিছিল। গতিকে কোৱা বাহুল্য মাথোন যে ডিব্রুগড়ত অসম সাহিত্য সভাৰ বছৰেকীয়া অধিবেশন অনুষ্ঠিত হব বুলি শুনি আৰু অধিবেশনখন ময়ো চাবলৈ পাম বুলি ভাবি আনন্দত

মোৰ মন নাচি উঠিল। কেইজনমান সহপাঠী বন্ধুক সভালৈ যাবলৈ বুলি মই লগ ধৰিলোঁ। কিন্তু তেওঁলোক কোনো এজনেই যাবলৈ ৰাজী নহ'ল। সাহিত্য সভাৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ আৰু কৌতুহলৰ অভাৱে মোক অতিকৈ আচৰিত কৰিলে। অৱশেষত মই অকলেই যাবলৈ ঠিক কৰিলোঁ।

সেই দিনটোৰ কথা মোৰ এতিয়াও স্পষ্টকৈ মনত আছে। বহাগৰ বিহুলৈ মাত্ৰ এসপ্তাহ বাকী আছিল; কিন্তু চেঁকিয়াই 'ডাৱৰৰ আঁৰে আঁৰে ঢোলত চাপৰ পৰিবলৈ' আৰম্ভ কৰিছিল। আবেলি পৰত মই অকলে সাহিত্য সভা চাবলৈ গলোঁ। কিন্তু অলপ দূ�ৰৰ পৰাই মই সাহিত্য সভাৰ যিটো ৰূপ দেখিলোঁ তাৰ লগত মই ইমান দিনে মোৰ মনত সাঁচি থোৱা কাল্পনিক ছবিখন একেবাৰে নিমিলিল। মোৰ মনত ধাৰণা আছিল যে সাহিত্য সভাৰ বছৰেকীয়া অধিবেশন মানেই অগনন প্ৰজাৰে উদুলি-মুদুলি হোৱা এটা বিৰাট উলহ-মালহৰ কাৰবাৰ। কিন্তু আলিবাটত থিয় হৈ দেখিলোঁ — সভাস্থলীত মাত্ৰ কেইহাজাৰ মান মানুহ গোট খাইছে। সভাৰ পৰিবেশটোও অলপ যেন সেমেকা। অসম সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনৰ উত্তাপ আৰু উৎসাহ-উদ্দীপনা গোটেই চহৰখনত যেনেকৈ বিয়পি পৰিব লাগিছিল সি যেন তেনেকৈ বিয়পি পৰা নাই। সাহিত্য সভাৰ প্ৰতি চহৰখনৰ ই নিৰ্মম উদাসীনতাই মোৰ মনটোকো সেমেকাই তুলিলে। তথাপি মই আলিবাটতে থিয় হৈ বক্তৃতালৈ কাণ দিবলৈ চেষ্টা কৰিলোঁ। তেতিয়া প্ৰধান সম্পাদক ডিম্বেশ্বৰ নেওগে তেওঁৰ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰিবলৈ আৰম্ভ কৰিছিল। কথা কওঁতে বা পঢ়োঁতে খোনাবলৈ বাধ্য হোৱা ডিম্বেশ্বৰ নেওগৰ মাতটো আছিল মোৰ চিনাকী, কাৰণ তাৰ আগৰ বছৰত মই উত্তৰ লখিমপুৰ চৰকাৰী হাইস্কুলৰ ছাত্ৰ হৈ থাকোতে ডিম্বেশ্বৰ নেওগ আৰু নীলমণি ফুকন সাহিত্য সভাৰ সংগঠনৰ কামত উত্তৰ লখিমপুৰলৈ গৈছিল আৰু তেওঁলোক দুয়ো আমাৰ স্কুলৰ শিক্ষক আৰু ছাত্ৰসকলৰ এখন সভাত বক্তৃতা দিছিল। ডিম্বেশ্বৰ নেওগে সম্পাদকীয় প্ৰতিবেদন পঢ়িবলৈ আৰম্ভ কৰিয়েই ইমান বেছিকৈ খোনাবলৈ ধৰিলে যে তেওঁৰ পক্ষে বেছি পৰ প্ৰতিবেদন পঢ়ি থকা সম্ভৱ নহ'ল। তেওঁৰ হৈ প্ৰতিবেদন পাঠ কৰিবলৈ থিয় হ'ল সহকাৰী সম্পাদক মিত্ৰদেৱ মহন্ত। সভাপতিয়ে মিত্ৰদেৱ মহন্তৰ নামটো ঘোষণা কৰা শুনিয়েই মোৰ দেহ-মন ৰোমাঞ্চিত হৈ উঠিল, কাৰণ ল'ৰাকালত কলগানৰ (গ্ৰামোফোন) পালাত তেওঁৰ খুহুটীয়া গীত আৰু অভিনয় শুনি বিমল আনন্দ লাভ কৰিছিলোঁ আৰু সেই তেতিয়াৰ পৰাই তেওঁৰ অনুপম কণ্ঠস্বৰ আৰু বচনভঙ্গী মই মোৰ স্মৃতিৰ থুনপাকত সাঁচি ৰাখিছিলোঁ। শুকান জেওৰা চেপি ৰস বাহিৰ কৰিব পৰা মিত্ৰদেৱ মহন্তই শুকান তথ্যৰে ভৰি থকা সম্পাদকীয় প্ৰতিবেদনখনো ইমান ৰস লগাই পঢ়িবলৈ ধৰিলে যে মই ডাৱৰীয়া আকাশৰ তলত আলিবাটত অকলে থিয় হৈ তেওঁৰ মাতটো মন্ত্ৰমুগ্ধ হৈ শুনি থাকিবলৈ ধৰিলোঁ।— একমাত্ৰ সেইটোৰেই হ'ল মোৰ সঞ্চিত হৈ থকা অসম সাহিত্য সভাৰ ডিব্ৰুগড় অধিবেশনৰ মধু�ৰতম স্মৃতি।

মই জীৱনত প্ৰথমবাৰৰ কাৰণে অসম সাহিত্য সভাৰ বছৰেকীয়া অধিবেশন দেখিছিলোঁ ডিব্ৰুগড়ত। তাকো অকলশৰে আলিবাটত থিয় হৈ। ভাগ্যৰ কি আচৰিত বিধান যে সেই একেখন ডিব্ৰুগড় চহৰতে মই আপোনাসকলক সম্বোধন কৰিছোঁ অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা।

অৱশ্যে কেৱল সেই কথাটো আঙুলিয়াই দিয়াটোৰেই মোৰ দীঘলীয়া স্মৃতি-ৰোমন্থনৰ একমাত্ৰ উদ্দেশ্য নহয়। আজিৰ সভাৰ এই বিশাল জন-পুঞ্জৰ সম্মুখত থিয় হৈ মোৰ মনটো কেইমুহূর্তমানৰ কাৰণে উৰা মাৰিছে তেত্ৰিশ বছৰৰ আগৰ সেই ডাৱৰীয়া দিনটোলৈ— যিদিনা অসম সাহিত্য সভাই আকৰ্ষণ কৰিব পাৰিছিল মাত্ৰ কেইহাজাৰমান মানুহ। আজি ডিব্ৰুগড়ৰ সমগ্ৰ সত্তাক আচ্ছন্ন কৰি পেলাইছে অসম সাহিত্য সভাই; কিন্তু সেইদিনা সাহিত্য সভাৰ স্থান হৈছিল চহৰৰ উপান্তত— শাৰীৰিক আৰু মানসিক দুয়োভাবেই। ইয়াৰ দ্বাৰা কেৱল এই কথাই প্ৰতীয়মান হয় যে ষোল্ল অৰ্ধ শতিকা ধৰি অসম সাহিত্য সভা কলা কলাকৈ বাঢ়ি বাঢ়ি সি আজি পৰিণত হৈছে অসমৰ সৰ্ব-বৃহৎ জাতীয় উৎসবত; সি অধিকাৰ কৰি লৈছে অসমবাসীৰ সমস্ত হৃদয়। অসম সাহিত্য সভাৰ বিষয়ে ইতিমধ্যে এনে এটা কথা ৰাজ্যখনৰ ভিতৰে-বাহিৰে বহলভাৱে প্ৰচাৰিত হৈছে যে কেৱল সাহিত্যৰ নামত এনে বিশাল জন-সমাগম আৰু আনন্দ-মুখৰ উৎসৱ ভাৰতৰ আন কোনো ৰাজ্যতে নহয়। অথচ এই কথাও সমানেই সত্য যে সাহিত্যৰ নামত এনেকৈ আবেগ-বিহ্বল হ'ব নোখোজা বা অনাকাংক্ষিত বিশাল উৎসৱৰ আয়োজন নকৰা অন্য বহুতো ভাষা-গোষ্ঠীৰ মানুহে আমাতকৈ অনেক-গুণে উন্নততৰ সাহিত্য সৃষ্টি কৰিছে। গতিকে অসমীয়া সাহিত্যৰ গুণগত

উৎকর্ষ আৰু অসম সাহিত্য সভাৰ ক্রমবর্ধমান জনপ্রিয়তাৰ মাজত মিল বিচাৰি পোৱাটো একপ্রকাৰে অসম্ভৱ হৈ পৰিছে। দেখা গৈছে যে সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনবোৰৰ সময়ত অসমীয়াসকলৰ আবেগত প্রবল জোৱাৰ উঠে; বাকী এবছৰ বা দুবছৰত সি ক্রমে ক্রমে ভাটাত পৰিণত হয়। বছেৰেকীয়া অধিবেশনবোৰৰ কাৰণে আমি বিপুল পৰিমাণৰ শক্তি, সময় আৰু অর্থ ব্যয় কৰি প্রকৃত কাম কৰিবলৈ সেইবোৰৰ একোটোকেই সাঁচি ৰাখিব নোৱাৰোঁ। অসম সাহিত্য সভা মেলামুখী হোৱাত বা সভাৰ বছেৰেকীয়া অধিবেশনবোৰ বর্ণময় বিশাল উৎসৱত পৰিণত হোৱাত ব্যক্তিগতভাৱে মোৰ কোনো আপত্তি নাই। এসময়ত আছিল যদিও এতিয়া মই সেই আপত্তি উঠাই লৈছোঁ। তাৰ কাৰণ দুইকৈ দুটা। প্রথমতে, সাহিত্য সভাৰ সংগঠকসকলে কিবা প্রলোভন দেখুৱাই বা কোনো ৰাজনৈতিক দলে কৰাৰ নিচিনাকৈ বাছ-ট্রাক ভাড়া কৰি সভাস্থলীলৈ মানুহ টানিব খোজা নাই। অসম সাহিত্য সভালৈ হিল-দল ভাঙি মানুহ আহে নিজৰ আবেগৰ তাড়নাত। এনেকৈ অহা মানুহ বছৰি বছৰি বাঢ়িব ধৰিছে। সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনবোৰৰ মাজত অসমীয়া মানুহে ব্যাখ্যাৰ অতীত কিবা এটা বস্তু বিচাৰি নোপোৱাহ'লে এনেকৈ নিশ্চয় লাখ লাখ মানুহ আহি জন-সমুদ্র সৃষ্টি নকৰিলেহেঁতেন। সেই কাৰণেই মই বিশ্বাস কৰিবলৈ বাধ্য হৈছোঁ যে আনন্দ-মুখৰ মহোৎসৱৰ ৰূপ লোৱা সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনবোৰে নিশ্চয় অসমীয়াসকলৰ কিবা এটা গভীৰ মনস্তাত্ত্বিক প্রয়োজন পূর্ণ কৰিছে। সেয়ে সাহিত্যৰ নামত নহ'লেও সাহিত্য সভাৰ নামত তেওঁলোক আবেগ-বিহ্বল হৈ পৰে। দ্বিতীয়তে, সাহিত্যৰ নামত তেওঁলোকে সৃষ্টি কৰিছে এটা অভিনৱ আধুনিক জাতীয় উৎসৱ— যিটোৰ জনপ্রিয়তাই চান্দা-সংস্কৃতি আৰু বিজতৰীয়া প্রভাৱে কলুষিত কৰা বিহুকো চেৰ পেলাবলৈ সক্ষম হৈছে। সাহিত্য সভাৰ প্রতি এটা সমগ্র জাতিৰ এই স্বতঃস্ফূর্ত অনুৰাগক সমালোচনা কৰাৰ বা তুচ্ছ-তাচ্ছিল্য কৰাৰ অধিকাৰ বোধহয় আমাৰ নাই।

কিন্তু অন্যান্য উৎসৱৰ লগত সাহিত্য -উৎসৱৰ নিশ্চয় এটা পার্থক্য আছে বা থকা উচিত। যি কোনো ছেক্যুলাৰ উৎসৱৰ দুটা প্রধান উদ্দেশ্য হ'ল সামাজিক মিলনৰ উপলক্ষ্য সৃষ্টি কৰা আৰু কর্মক্লান্ত মানুহকউৎসৱৰ আনন্দ-ধাৰাত স্নান কৰাই তেওঁক পুনৰ সঞ্জীৱিত কৰি তোলা। অসমীয়াসকলৰ সাহিত্যৰ উৎসৱে এই দুয়োটা উদ্দেশ্য পূৰণ কৰিছে। কিন্তু সাহিত্য কেৱল সাময়িক আনন্দোসৱৰ বিষয় নহয়; সি হ'ল নিৰবচ্ছিন্ন সাধনাৰ বিষয়। সাহিত্য কেৱল বিনোদনৰ সামগ্রী নহয়; সি মানুহৰ বৌদ্ধিক আৰু আধ্যাত্মিক বিকাশৰো মাধ্যম। গতিকে সাহিত্যৰ উৎসৱে আন আন উৎসৱৰ দৰে তাৰ কৰণীয় কামখিনি কৰি শেষ কৰি বছৰটোৰ কাৰণে বিদায় ল'ব নোৱাৰে; বৰং উৎসৱ শেষ হোৱাৰ পিছতহে আৰম্ভ হোৱা উচিত তাৰ আচল কাম। সেই কামবোৰ অসম সাহিত্য সভাৰ সংবিধান তথা নিয়মাৱলীত নির্দ্দিষ্ট কৰি দিয়া হৈছে। সংবিধানত কোৱা হৈছে যে 'অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সর্বাঙ্গীন উন্নতি কৰাই এই সভাৰ ঘাই উদ্দেশ্য।' সেই উদ্দেশ্যে কৰিবলগীয়া প্রধান কামবোৰ হ'ল— অভিধান, ব্যাকৰণ আৰু অন্যান্য গ্রন্থৰ সংকলন আৰু প্রকাশ কৰা; প্রাচীন সাহিত্য আৰু লোকসাহিত্যৰ অনুসন্ধান, গৱেষণা আৰু সভাৰ বিভিন্ন দায়িত্বত থকা প্রতিজন ব্যক্তিয়েই নিজকে সুধিব লগা আটাইতকৈ জৰুৰী প্রশ্নটো হ'ল : অসম সাহিত্য সভাৰ সংবিধানে নির্দিষ্ট কৰি দিয়া কামবোৰ কৰি আমি সভাৰ অস্তিত্বৰ সার্থকতা প্রতিপন্ন কৰিব পাৰিছোনে? আমি যদি আত্মপ্রতাৰণা কৰিব নোখোজোঁ, তেন্তে আমি অকপটে এই কথাটো স্বীকাৰ কৰা উচিত হ'ব যে অসম সাহিত্য সভাই নিজৰ কৰিবলগীয়া কামৰ এটা অতি ক্ষুদ্র অংশহে কৰিব পাৰিছে। আন কথাত ক'বলৈ গ'লে, অসম সাহিত্য সভাই উৎসৱৰ উচ্চ-নাদ আৰু জাকজমকেৰে অসমীয়া সকলৰ হৃদয়ত যি পৰিমাণে আবেগ জগাই তুলিছে, সেই পৰিমাণে নিজৰ কামৰ দ্বাৰা তেওঁলোকৰ পৰা শ্রদ্ধা প্রশংসা আদায় কৰিব পৰা নাই। আজিৰ পৰা এশবছৰৰ আগতে কাছাৰীৰ চিৰন্তাদাৰ হেমচন্দ্র বৰুৱাই চৰকাৰী কামৰ মাজতো সময় উলিয়াই সাত বছৰ অকলে পৰিশ্রম কৰি 'হেমকোষ' অভিধান লিখি উলিয়াইছিল। কিন্তু অসমীয়া জাতিৰ সর্ববৃহৎ জাতীয় অনুষ্ঠান বুলি দাবী কৰা অসম সাহিত্য সভাই তাৰ চাৰিকুৰিবো অধিক বছৰৰ জীৱন কালত একমাত্র 'চন্দ্রকান্ত অভিধান' নামৰ পঢ়াশালীয়া ক্ষুদ্র অভিধানখনৰ বাহিৰে আধুনিক শিক্ষিত সমাজৰ ক্রমবর্ধমান চাহিদা পূৰণ কৰিব পৰা এখন পূর্ণাঙ্গ অভিধান প্রণয়ন কৰি উলিয়াব নোৱাৰিলে। যোৱা বহু বছৰ ধৰি অসমীয়া ভাষাত আখৰ-জোঁটনি, ব্যাকৰণ, উচ্চাৰণ আৰু বিদেশী শব্দৰ লিপ্যান্তৰৰ ক্ষেত্রত অৰাজকতা চলি আছে। সকলোৱেই ভাবে যে এইবোৰ সমস্যাৰ সমাধানৰ দায়িত্ব লোৱা উচিত অসম সাহিত্য সভাই। যদি সভাই এইবোৰ কমাকৈ কৰি ভাষাটোৰ শ্রী-বৃদ্ধিত সহায় নকৰে,

তেন্তে সভাই কৰিবলৈ আন কামনো থাকিল কি? সৃজন-ধৰ্মী সাহিত্য তথা গল্প-উপন্যাস-নাটক-কাব্য আদিৰ ক্ষেত্ৰত সাহিত্য সভাৰ নিচিনা অনুষ্ঠানৰ কৰিবলগীয়া কাম বিশেষ একো নাই। লেখকসকলে নিজৰ প্ৰতিভা আৰু প্ৰেৰণাঅনুযায়ী নিজে নিজেই সেইবোৰ লিখি থাকে। সাহিত্য সভাই খুব বেছি লেখকসকলক সম্মান আৰু পুৰস্কাৰ যাচি তেওঁলোকক উৎসাহ-উদ্দীপনা যোগাব পাৰে। কিন্তু সাহিত্য সভাই দুটা ডাঙৰ কাম কৰিব পাৰে আৰু কৰা উচিত। প্ৰথম কামটো হ'ল ভাষাটোৰ বিশুদ্ধতা ৰক্ষা কৰা আৰু লগে লগে তাৰ শক্তি বৃদ্ধি কৰা। কেৱল এই উদ্দেশ্যেই স্থাপন কৰা হৈছিল জগদ্বিখ্যাত ফৰাচী অকাডেমী। অসমীয়া ভাষা মাজে মাজে যিবোৰ ভাষাগত সমস্যাৰ সম্মুখীন হয়— যোৱা বহুবছৰ ধৰি উত্তৰ হোৱা এনে কিছুমান জটিল সমস্যাৰ কথা ওপৰত উল্লেখ কৰা হৈছে— সেইবোৰ সমস্যাৰ সমাধান কৰাটো অসম সাহিত্য সভাৰ এটা প্ৰধান কৰ্তব্য বুলি বিবেচিত হোৱা উচিত। বিশেষ অগ্ৰাধিকাৰ দিব লগা কামটো হ'ল আখৰ-জোঁটনি, উচ্চাৰণ, বিদেশী শব্দৰ লিপ্যন্তৰ, ব্যাকৰণ আৰু তালব্য শ, মূৰ্ধন্য ষ আৰু দন্ত্য স- ৰ ভিন ভিন উচ্চাৰণে সৃষ্টি কৰা বেমেজালি আদিৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাবোৰ স্থায়ীভাবে সমাধান কৰি শুদ্ধ আৰু সৰ্ব-মান্য অসমীয়া ভাষা লিখিবলৈ লেখক, অনুবাদক আৰু সাংবাদিকসকলক সহায় কৰা। এই কঠিন কাম সাহিত্য-সভাই অকলে কৰিব নোৱাৰে। সাহিত্য সভাই বিশিষ্ট ভাষাতত্ত্ববিদ, বৈয়াকৰণ, গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰতিনিধি, উচ্চ মাধ্যমিক আৰু মাধ্যমিক শিক্ষা পৰিষদৰ প্ৰতিনিধি, বাতৰি কাকতৰ সম্পাদক আৰু অসমীয়া ভাষাৰ কৃতবিদ্য শিক্ষকসকলক লৈ এখন বিশেষজ্ঞ সমিতি গঠন কৰিব পাৰে। সেই বিশেষজ্ঞ সমিতিয়েও আখৰ-জোঁটনি, লিপ্যন্তৰ আৰু উচ্চাৰণ আদি বিভিন্নসমস্যাৰ পৰ্যালোচনা কৰিবলৈ কেবাখনো উপ-সমিতি গঠন কৰিব লাগিব। বিশেষজ্ঞ সমিতিৰ পৰামৰ্শাৱলী ৰাজহুৱা বিতৰ্ক আৰু আলোচনাৰ কাৰণে বাতৰি কাকতত প্ৰকাশ কৰিব লাগিব। পৰ্যায়-ক্ৰমে এই সকলোবোৰ কাম হৈ যোৱাৰ পিছত সাহিত্য সভাই সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰা পৰামৰ্শসমূহ কিতাপ আকাৰে প্ৰকাশ কৰা হ'ব। এই কামটো কৰিবলৈ মই এবছৰ সময় ধাৰ্য কৰি দিব খোজোঁ; অৰ্থাৎ অসম সাহিত্য সভাৰ পৰবৰ্তী বছেৰেকীয়া অধিবেশনত এই কিতাপখন আনুষ্ঠানিকভাবে উন্মোচিত হোৱাটো মই বিচাৰোঁ। অসমীয়া ভাষাৰ সকলো পণ্ডিত আৰু শিক্ষকৰ সহায় লৈ অসম সাহিত্য সভাৰ পৰা অসমৰ বাইজে আশা কৰিবলগীয়া বিশেষ একো নাই।

অসম সাহিত্য সভাই কৰিব লগা আৰু কৰিব পৰা দ্বিতীয়টো গুৰুত্ব-পূৰ্ণ কাম হ'ল আধুনিক জ্ঞান-বিজ্ঞানৰ বিভিন্ন বিষয়ৰ যিবোৰ কিতাপ অসমীয়া ভাষাত নাই সেইবোৰ কিতাপ উপযুক্ত লেখকৰ দ্বাৰাই লিখোৱাই প্ৰকাশৰ ব্যৱস্থা কৰা। সাহিত্য সভাৰ সংবিধানেও কৈছে যে 'অসমীয়া ভাষাত যি যি বিষয়ৰ পুথিৰ অভাৱ সেই অভাৱ দূৰ কৰাটোও' অসম সাহিত্য সভাৰ অন্যতম উদ্দেশ্য। ওপৰতেই কৈ অহা হৈছে যে অসম সাহিত্য সভাই ফৰ্মাইছ দি ভাল কবি, নাট্যকাৰ বা ঔপন্যাসিক তৈয়াৰ কৰাৰ নোৱাৰিব পাৰে; কিন্তু অধীত বিদ্যাৰ সহায়েৰে জ্ঞান-বিজ্ঞানৰ বিভিন্ন বিষয়ৰ কিতাপ লিখিবলৈ লেখকসকলক উদ্বুদ্ধ কৰাটো বিশেষ একো কঠিন কাম নহয়। ৰস-চৰ্চা সাহিত্য সভাৰ সাধ্যৰ অতীত হব পাৰে, কিন্তু জ্ঞান-চৰ্চা সাহিত্য সভাৰ অপৰিহাৰ্য কৰ্তব্য বুলি বিবেচিত হোৱা উচিত। অসমীয়া ভাষাত অভাৱৰ অন্ত নাই, অৰ্থাৎ কিতাপৰ বিষয়-বস্তুৰ অভাৱ নাই। অভাৱ হৈছে কেৱল সেইবোৰ বিষয়ে চিন্তা কৰা আৰু লিখিব পৰা মানুহৰ। আগৰ দিনত যেতিয়া মানুহৰ কৌতূহল সীমাবদ্ধ আছিল, তেতিয়া সেই অনুপাতে গ্ৰন্থ ৰচনাৰ উপযোগী বিষয় বৈচিত্ৰ্যও আছিল সীমাবদ্ধ। কিন্তু আজিকালি বন্ধন-প্ৰণালী, পুষ্টি-বিজ্ঞান, সৌন্দৰ্য-চৰ্চা, স্বাস্থ্য-চৰ্চাৰ পৰা আৰম্ভ কৰি জীৱকোষৰ জীৱনী কাহিনী আৰু বিশ্ব-সৃষ্টিৰ ৰহস্যলৈকে মানুহে জানিব খোজা বিষয়ৰ সীমাসংখ্যা নাই। বৰ্তমান যুগটোক অভূতপূৰ্ব তথ্য-বিস্ফোৰণৰ যুগ বুলি কোৱা হয়। মাত্ৰ যোৱা এটা শতাব্দীত মানুহে জীৱন আৰু বিশ্ব-প্ৰকৃতি সম্পৰ্কে যিমানবোৰ নতুন তথ্য আহৰণ কৰিছে, মানৱ সভ্যতাৰ যোৱা সাত হাজাৰ বছৰতো সিমানখিনি তথ্য পুঞ্জীভূত হোৱা নাছিল। এই তথ্য-বিস্ফোৰণ তথা জ্ঞানৰ নব নব দিগন্তৰ উন্মোচনে পৃথিৱীৰ উন্নত দেশবোৰত অসংখ্য নতুন কিতাপৰ জন্ম দিছে। সেইবোৰ কিতাপৰ জৰিয়তে জ্ঞান-বিজ্ঞানৰ বিভিন্ন তথ্য সৰ্বসাধাৰণৰ মানুহৰ পক্ষে আয়ত্ত কৰা সম্ভৱ হৈছে। কিন্তু এই আধুনিক তথ্য-বিস্ফোৰণৰ প্ৰতিফলন বিমান হব লাগিছিল সিমানখিনি অসমীয়া ভাষাত আজিলৈকে হোৱা নাই। ফলত আধুনিক জ্ঞান সাধনাৰ মূল সূতিৰ পৰা অসমীয়া সকল এতিয়াও বিচ্ছিন্ন হৈ আছে। একে আষাৰে কবলৈ গ'লে অসমীয়া ভাষাত বিভিন্ন বিষয়ৰ অসংখ্য কিতাপ লিখিব লগীয়া হৈ আছে—যিবোৰ কিতাপৰ বাবে

আগ্রহ-উন্মুখ এখন বিশাল পাঠক সমাজ পৰি আছে। এজন বৃত্তিধাৰী লেখক হিচাপে ব্যক্তিগত অভিজ্ঞতাৰ পৰা মই ক'ব পাৰোঁ যে কিতাপ যদি সুলিখিত হয় আৰু সি পাঠকৰ বিচিত্ৰ বিষয়ৰ কৌতূহল নিবৃত্ত কৰিবলৈ সমৰ্থ হয় তেন্তে তেনে কিতাপৰ কাৰণে অসমতো পাঠকৰ অভাৱ নাই। গ্ৰন্থমেলাবোৰৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তা আৰু চাহিদায়ো সেই কথাকে প্ৰমাণ কৰে। এই আটাইবোৰ কথালৈ লক্ষ্য ৰাখি ক'ব পাৰি যে অসমৰ কিতাপৰ বজাৰত এক বিশাল শূন্যতা বিৰাজ কৰিছে; অৰ্থাৎ পাঠকৰ চাহিদা পূৰণ কৰিব পৰাকৈ বিভিন্ন আৰু বিচিত্ৰ বিষয়ৰ সুলিখিত কিতাপ অসমীয়া ভাষাত নাই। এই শূন্যতা পূৰণ কৰিবলৈ অসম সাহিত্য সভা যদি আগবাঢ়ি আহে, তেন্তে সাহিত্য সভা দুই প্ৰকাৰে লাভবান হ'ব পাৰিব। প্ৰথমতে, বিচিত্ৰ বিষয়ত কিতাপ প্ৰকাশ কৰি অসম সাহিত্য সভাই অসমত জ্ঞান-চৰ্চাৰ নতুন নতুন দিগন্ত উন্মোচন কৰিব পাৰিব, আৰু তাকে কৰি সভাই নিজৰ সংবিধান-নিৰ্দিষ্ট কৰ্তব্যও পালন কৰিব পাৰিব। দ্বিতীয়তে, কামটো ভালকৈ কৰিব জানিলে এই কিতাপবোৰ সাহিত্য সভাৰ এটা স্থায়ী অৰ্থাগমৰ উৎসতো পৰিণত হ'ব।

এই কামটো কৰিবলৈ ঘাইকৈ দুটা বস্তুৰ দৰকাৰ হ'ব ঃ উপযুক্ত লেখক আৰু পৰ্যাপ্ত মূলধন। লেখকৰ অভাৱ হ'ব বুলি মই নাভাবোঁ। সুদীৰ্ঘ বত্ৰিশ বছৰ ধৰি বিভিন্ন বাতৰি কাকত আৰু আলোচনী সম্পাদনা কৰা অভিজ্ঞতাৰ ভিত্তিত মই ক'ব পাৰোঁ যে অসমত প্ৰতিভাৰ অভাৱ নাই; কেৱল বিচাৰিব জানিলেই হ'ল। আমি কেৱল প্ৰতিষ্ঠিত লেখকসকলৰ মুখলৈ চালেই নহ'ব; ন ন প্ৰতিভা আৱিষ্কাৰ কৰি তেওঁলোকক প্ৰতিষ্ঠিত হোৱাত আমি সহায় কৰিব লাগিব। প্ৰতি বছৰে হাজাৰ হাজাৰ ডেকা-গাভৰুৱে উচ্চ শিক্ষা লাভ কৰি কলেজ আৰু বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহে। তেওঁলোকৰ ভিতৰত অতি কমেও পাঁচশৰ পৰা এহেজাৰ ডেকা-গাভৰু আছে— যিসকলৰ লেখক হোৱাৰ প্ৰতিভা আৰু উচ্চাকাংক্ষা আছে। তেওঁলোকক কামত লগাব পাৰিলে জ্ঞান-চৰ্চাৰ ক্ষেত্ৰত অসমত এটা নৱ-জাগৰণৰ সূচনা হ'ব।

মূলধন যোগাৰ কৰাটো অৱশ্যে এটা ডাঙৰ সমস্যা। যিহেতু অৰ্থাভাৱেই অসমৰ সাহিত্য সভাৰ এটা প্ৰধান সমস্যা, ''তিকে এই বিষয়টো অলপ বহলাই আলোচনা কৰাৰ প্ৰয়োজন আছে বুলি মই ভাবোঁ।

এতিয়ালৈকে সাহিত্য সভাৰ স্থায়ী আৰু নিয়মিত উপাৰ্জনৰ একমাত্ৰ উৎস হ'ল চৰকাৰী অনুদান। মোক দিয়া তথ্য অনুযায়ী ৰাজ্য চৰকাৰে সাহিত্য সভাক চাৰি লাখ টকাৰ এটা বাৰ্ষিক অনুদান দিয়ে। সাহিত্য সভাৰ স্থায়ী কৰ্মচাৰীসকলক দৰমহা দিবলৈ আৰু অত্যাৱশ্যকীয় কাম-কাজবোৰ চলাই থাকিবলৈ সাহিত্য সভাক বছৰি আঠ লাখ টকাৰ প্ৰয়োজন হয়। গতিকে এই কথা দেখদেখকৈ ওলাই পৰিছে যে চৰকাৰী অনুদানেৰে সাহিত্য সভাৰ ন্যূনতম বিত্তীয় প্ৰয়োজনৰ মাত্ৰ পঞ্চাশ শতাংশহে জোৰা মাৰিব পৰা হয়। বাকী পঞ্চাশ শতাংশৰ কাৰণে সাহিত্য সভাই ভিক্ষাৰ জোলোঙা লৈ ধনবান সকলৰ দু�ৱাৰে দুৱাৰে ঘুৰি ফুৰিব লগা হয়। অৰ্থাৎ অসমীয়াসকলৰ প্ৰাণাধিক প্ৰিয় সৰ্ববৃহৎ জাতীয় অনুষ্ঠানটোৰ অৱস্থা হ'ল দিন ভিক্ষা প্ৰাণ ৰক্ষা। এনে অৱস্থাত সাহিত্য সভাই অসমীয়াসকলৰ আশা পূৰাব পৰাকৈ ডাঙৰ ডাঙৰ কাম কৰাৰ কথা ভাবিব পাৰিব কেনেকৈ?

এই সম্পৰ্কত মোৰ বক্তব্য হ'ল এইয়ে যে অসম চৰকাৰে অসম সাহিত্য সভাক বছৰি মাত্ৰ চাৰি লাখ টকা অনুদান দি কেৱল সাহিত্য সভাৰ মৰ্যাদাকে লাঘৱ কৰা নাই; সমগ্ৰ অসমীয়া জাতিৰ অনুভূতিকো আঘাত কৰিছে। এটা জাতিৰ সৰ্বাংগীন বিকাশৰ কাৰণে আইনৰ শাসন যেনেকৈ প্ৰয়োজনীয়, অৰ্থনৈতিক উন্নয়ন যেনেকৈ প্ৰয়োজনীয়, ঠিক তেনেকৈ সাহিত্য আৰু সংস্কৃতিৰ বিকাশো সমানেই প্ৰয়োজনীয়। এটা জাতিৰ শৰীৰটো সুস্থ আৰু সবল কৰি ৰখাৰ দায়িত্ব চৰকাৰৰ; কিন্তু জাতিটোৰ আত্মাৰ মঙ্গল আৰু বিকাশৰ দায়িত্ব ল'ব লগা হয় সাহিত্য আৰু সংস্কৃতিৰ সাধকসকলে। ই এক ধৰণৰ শ্ৰমৰ বিভাজন। ৰাজনৈতিক ক্ষমতাৰ অধিকাৰী লোকসকল যদি সাহিত্য-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল নহয় আৰু সভ্যতাৰ প্ৰকৃত মৰ্মবাণী তেওঁলোকে বুজি নাপায়, তেন্তে তেনে একদেশধৰ্মী লোকৰ নেতৃত্বত কেতিয়াও এটা জাতিয়ে মহত্ত্ব অৰ্জন কৰিব নোৱাৰে। এইখিনিতে পৃথিবীত মহান সভ্যতা-সংস্কৃতি সৃষ্টি কৰা দুটামান জাতিৰ মহান নেতাসকলৰ মনোবৃত্তিৰ দুটামান উদাহৰণ দিওঁ।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত ফ্ৰান্সৰ প্ৰধান মন্ত্ৰী আছিল জৰ্জ ক্লিমাচোঁ। অদম্য সাহসৰ কাৰণে তেওঁক ফৰাচীসকলে মাতিছিল বাঘ বুলি। ৰাজনীতিলৈ অহাৰ আগতে তেওঁ আছিল এজন সাংবাদিক। ইতিহাস-বিখ্যাত দ্ৰেফ্যুচ গোচৰত তেওঁ দ্ৰেফ্যুচৰ পক্ষ

লৈ যিবোৰ প্ৰবন্ধ লিখিছিল সেইবোৰৰ কথা আজিও মানুহে শ্ৰদ্ধাৰে স্মৰণ কৰে। কিন্তু তেওঁ কেৱল এজন সাংবাদিকেই নাছিল। লেখক হিচাপেও তেওঁ কিছু জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেওঁ লেখা দুই-এটা গল্প আজিও পাঠযোগ্য হৈ আছে। নিজ লেখক আৰু সাংবাদিক হোৱাৰ উপৰিও চিত্ৰকলাৰ প্ৰতি আছিল তেওঁৰ গভীৰ অনুৰাগ। তেওঁৰ ঘনিষ্ঠ বন্ধুসকলৰ ভিতৰত অন্যতম আছিল ফৰাচী ইমপ্ৰেশ্যনিষ্ট ধাৰাৰ পুৰোধা চিত্ৰকৰ ক্লড মনে (Claude Monet)।

প্ৰথম আৰু দ্বিতীয় দুয়োখন বিশ্ব-যুদ্ধতে যুদ্ধৰ আটাইতকৈ ডাঙৰ খুন্দাটো চন্তালিৰ লগীয়া হৈছিল ফ্ৰান্সে, কাৰণ ফ্ৰান্স আছিল জাৰ্মানীৰ নিকটম প্ৰতিবেশী। এনেহেন সময়ত ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী আছিল জৰ্জ ক্লিমাচোঁ। যুদ্ধত জয়লাভ কৰি ফ্ৰান্সৰ গৌৰৱ ৰক্ষা কৰাৰ দায়িত্ব তেওঁ পালন কৰিব লগা হৈছিল। গতিকে কোৱা বাহুল্য মাথোন যে শয়নে-স্বপোনে যুদ্ধৰ বাহিৰে আন চিন্তা কৰিবলৈ তেওঁৰ সময় নাছিল।

কিন্তু ফ্ৰান্সৰ মহান সভ্যতা-সংস্কৃতিৰ উত্তৰাধিকাৰী জৰ্জ ক্লিমাচোঁৱে স্বদেশৰ জীৱন-মৰণৰ এনে এটা সন্ধিক্ষণত যুদ্ধ-জয়ৰ কথা চিন্তা কৰাৰ উপৰিও চিত্ৰকলাৰ বিষয়ে চিন্তা কৰিবলৈকো সময় উলিয়াইছিল। ইমপ্ৰেশ্যনিষ্ট ধাৰাৰ পুৰোধা চিত্ৰকৰ ক্লড মনেই সেই সময়ত চিত্ৰকলাৰ ক্ষেত্ৰত এটা নতুন সম্পৰীক্ষা আৰম্ভ কৰিছিল। কিন্তু সমগ্ৰ জীৱনৰ কঠোৰ পৰিশ্ৰমে ক্লান্ত আৰু জীৰ্ণ কৰা মনেই অনুভৱ কৰিছিল যে এই সম্পৰীক্ষা সম্পূৰ্ণ কৰিবলৈ তেওঁৰ বোধহয় আৰু শক্তি নাই। তদুপৰি তেওঁ ইতিমধ্যে অন্ধ হ'বলৈ আৰম্ভ কৰিছিল। তেওঁ প্ৰায়েই তুলিকা সামৰি থোৱাৰ কথা চিন্তা কৰিছিল; কিন্তু তেওঁ সেইটো কৰিব নোৱাৰিছিল, একমাত্ৰ ক্লিমাচোঁৰ কাৰণে। ক্লিমোচোঁৱে অনুভৱ কৰিছিল যে ক্লড মনেই তেওঁৰ নতুন সম্পৰীক্ষা সম্পূৰ্ণ কৰিব পাৰিলে চিত্ৰকলাৰ ক্ষেত্ৰত যুগান্তকাৰী সূচনা হ'ব। সেই কাৰণে তেওঁ মনেক নানা প্ৰকাৰে বুজনি আৰু উদগনি দি তুলিকা ত্যাগ নকৰিবলৈ তেওঁক বাধ্য কৰিছিল।

এদিন যুদ্ধৰ এটা গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰিবলৈ মন্ত্ৰীসভাৰ এখন জৰুৰী বৈঠক বহিছিল। প্ৰধানমন্ত্ৰী জৰ্জ ক্লিমাচোঁ যেতিয়া তেওঁৰ মন্ত্ৰীসকলৰ লগত গভীৰ আলোচনাত মগ্ন, তেনে সময়তে এজন কটকীয়ে সভাকক্ষলৈ সোমাই আহি তেওঁৰ হাতত এখন চিঠি দিলে। ক্লিমাচোঁৱে নীৰৱে চিঠিখন পঢ়িলে। চিঠিখন লিখিছিল ক্লড মনেই। চিঠিখনত তেওঁ এই বুলি আপত্তি কৰিছিল যে ছবি আঁকি থাকিবলৈ তেওঁৰ দেহ-মনত আৰু বিন্দুমাত্ৰ শক্তি অৱশিষ্ট নাই; গতিকে তুলিকা সামৰি থোৱাৰ সিদ্ধান্ত ল'বলৈ বাধ্য হৈছে।

ক্লিমাচোঁৱে তেওঁৰ মন্ত্ৰীসকলক চিঠিখনৰ বিষয়ে একো নকলে, আলোচনা চলাই থাকিবলৈ তেওঁলোকক অনুৰোধ কৰি তেওঁ নিজে সভাকক্ষত পৰা ওলাই আহিল। তাৰ পিছত গাড়ীত উঠি তেওঁ ঢাপলি মেলিলে ক্লড মনেৰ ষ্টুডিঅ'লৈ। তালৈ গৈ তেওঁ মনেক এনেভাৱে বুজনি দিবলৈ ধৰিলে যে হতাশা আৰু ক্লান্তিত ভাগি পৰা বৃদ্ধ শিল্পীজনে নতুনকৈ প্ৰাণ পোৱা যেন অনুভৱ কৰিলে। আগতকৈ দুগুণ উৎসাহেৰে তেওঁ ছবি আঁকিবলৈ আৰম্ভ কৰিলে।

এই গোটেইখিনি কথাৰ সাৰাংশ হ'ল এয়েই যে যুদ্ধত জয়লাভ কৰি স্বদেশৰ সম্মান ৰক্ষা কৰা কামটোক জৰ্জ ক্লিমাচোঁৱে যিমান গুৰুত্ব-পূৰ্ণ বুলি বিবেচনা কৰিছিল, তেওঁৰ কাৰণে ঠিক সিমানেই গুৰুত্ব-পূৰ্ণ আছিল এজন প্ৰতিভাবান চিত্ৰকৰক ছবি আঁকি থাকিবলৈ উৎসাহ আৰু প্ৰেৰণা যোগোৱাৰ কামটো।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত গ্ৰেট ব্ৰিটেইনৰ প্ৰধান মন্ত্ৰী আছিল উইনষ্টন চাৰ্চিল। যুদ্ধৰ পৰিণামৰ ওপৰত কেৱল ইংৰাজ জাতিৰ ভবিষ্যতেই নিৰ্ভৰ কৰা নাছিল; লগতে নিৰ্ভৰ কৰিছিল সভ্যতাৰ ভবিষ্যত, গণতন্ত্ৰৰ ভাবিষ্যত। এনে পৰিস্থিতিত একমাত্ৰ যুদ্ধৰ বাহিৰে আন একো চিন্তাই চাৰ্চিলৰ মনলৈ আহিবলৈ সাহস নাছিল বা উচিতো নাছিল। কিন্তু চাৰ্চিলে যুদ্ধৰ কথা যিমান চিন্তা কৰিছিল, ঠিক সিমানেই কৰিছিল গ্ৰেট-ব্ৰিটেইনৰ চিত্ৰশালাবোৰত থকা অমূল্য ছবিবোৰক বোমাৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ চিন্তা। ছবিবোৰক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰাৰ চিন্তাত বিনিদ্ৰ ৰজনী যাপন কৰিব লগা হৈছিল দিনৰ পিছত দিন ধৰি।

ফ্ৰান্সৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি মিতেঁৰাই তেওঁৰ কাৰ্যকালৰ শেষৰ দুটা বছৰত যিটো কামক সৰ্বাধিক গুৰুত্ব দিছিল সেইটো আছিল ফ্ৰান্সৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰৰ নতুন ভৱনটোৰ নিৰ্মাণ কাৰ্য। কৰ্কট ৰোগত আক্ৰান্ত হৈ তিলে তিলে মৰিবলৈ ধৰা মানুহজনে

শয়নে-সপনে কেৱল গ্ৰন্থাগাৰটোৰ কথা চিন্তা কৰিছিল; জ্ঞানৰ সেই পবিত্ৰ মন্দিৰটোৰ নিৰ্মাণ কাৰ্যৰ কাৰণে তেওঁ ধন খৰচ কৰিছিল অকৃপণ ভাৱে। তেওঁৰ কাৰণে ফ্ৰাঞ্চৰ অবিনাশী আত্মাৰ প্ৰতীক আছিল সেই গ্ৰন্থাগাৰটো।

এনকুৱা অলেখ উদাহৰণেৰে ইতিহাসৰ পৃষ্ঠা ভৰি আছে। এটা জাতিৰ সৰ্বাংগীন বিকাশ তেতিয়াহে সম্ভৱ হয়- যেতিয়া ৰাজনৈতিক ক্ষমতাৰ অধিকাৰী শাসকসকল সাহিত্য-সংস্কৃতি আৰু জ্ঞান-বিজ্ঞানৰ চৰ্চাৰ প্ৰতি শ্ৰদ্ধাশীল হয়। কিন্তু অসম চৰকাৰে ভিক্ষাৰীৰ গালৈ দলিয়াই দিয়াৰ নিচিনাকৈ অসম সাহিত্য সভাক মাত্ৰ চাৰিলাখ টকা বাৰ্ষিক অনুদান দি অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি চৰকাৰৰ শ্ৰদ্ধাৰ পৰিবৰ্তে অৱজ্ঞাহে বেছিকৈ প্ৰকাশ কৰিছে বুলি মই অনুভৱ কৰোঁ। চৰকাৰী অনুদানৰ পৰিমাণ চাৰি লাখৰ পৰা অতি কমেও বিশ লাখলৈ বৃদ্ধি কৰিবলৈ মই ৰাজ্য চৰকাৰক অনুৰোধ জনাওঁ। মন্ত্ৰীসকলে ভ্ৰমন-বানচৰ নামত বছৰী বহু লক্ষ টকা খৰচ কৰে। এইক্ষেত্ৰত সামান্য ব্যয় সংকোচ কৰিয়ে চৰকাৰে সাহিত্য সভাৰ কাৰণে কেইবালক্ষ্য টকা ৰাহি কৰিব পাৰে। ঠিক সেইদৰে বিভিন্ন চৰকাৰী বিভাগৰ কাম-কাজত হোৱা অপচয় হ্ৰাস কৰি আৰু বিভিন্ন বিভাগৰ বাজেটৰ পৰা অতি সামান্য পৰিমাণে চান কাঢ়িও সাহিত্য সভাৰ অনুদানৰ পৰিমাণ যথেষ্ট পৰিমাণে বৃদ্ধি কৰিব পাৰি। মই ভাবোঁ যে চৰকাৰৰ পক্ষে সাহিত্য সভাৰ কাৰণে ধন যোগাৰ কৰাটো আচল সমস্যা নহয়; আচল সমস্যা হ'ল সাহিত্য সভাৰ প্ৰতি আৰু সামগ্ৰিক ভাবে সাহিত্য-সংস্কৃতিৰ প্ৰতি চৰকাৰৰ দৃষ্টিভংগীৰ পৰিবৰ্তন। মই আগতে কৈ আহিছোঁ যে এটা জাতিৰ শৰীৰটোক সুস্থ আৰু সবল কৰি ৰখাৰ দায়িত্ব চৰকাৰৰ; সাহিত্যিক আৰু সাংস্কৃতিক সংগঠনবোৰৰ দায়িত্ব হ'ল জাতিটোৰ আত্মাৰ বিকাশ আৰু মংগলৰ কাৰণে কাম কৰা। এই শ্ৰম বিভাজনক স্বীকাৰ কৰি লৈ ৰাজ্য চৰকাৰে জাতি গঠনৰ কামত অসম সাহিত্য সভাক অংশীদাৰ হিচাপে গ্ৰহণ কৰাটো উচিত হ'ব বুলি মই ভাবোঁ। অৱশ্যে সাহিত্য সভায়ো বৰ্দ্ধিত পৰিমাণৰ চৰকাৰী অৰ্থানুকুল্য পাবলৈ নিজকে এতিয়ালৈকে অধিক কৰ্মদক্ষ কৰি তোলাৰ লগতে সভাৰ কৰ্মক্ষেত্ৰও বহু পৰিমাণে বিস্তৃত কৰিব লাগিব।

অসম সাহিত্য সভাৰ কৰ্মক্ষেত্ৰ বিস্তৃত কৰাৰ প্ৰসংগত এইখিনিতে মই মোৰ নিজৰ চিন্তাৰ অলপ আভাস দিব খোজোঁ। সাহিত্য সভাৰ যিখিনি কাম সততে সৰ্ব-সাধাৰণ মানুহৰ চকুত পৰে সেইখিনি হ'ল সভাৰ আড়ম্বৰ- পূৰ্ণ বছেৰেকীয়া অধিবেশন, কেইটামান বিশেষ দিবস উদ্‌যাপন আৰু কেইখনমান কিতাপৰ প্ৰকাশ। সাহিত্য সভাৰ কৰ্মক্ষেত্ৰ এনেকৈ অত্যন্ত সীমাবদ্ধ হৈ থকা সত্ত্বেও অসমৰ মানুহে সভাৰ প্ৰতি বিপুল অনুৰাগ আৰু আনুগত্য প্ৰকাশ কৰিছে। সভাৰ কৰ্মক্ষেত্ৰ যদি আৰু অলপ বিস্তৃত কৰিব পৰা যায়, তেন্তে অসমৰ জাতীয় জীৱনত অসম সাহিত্য সভাই আৰু অধিক গুৰুত্বপূৰ্ণ আৰু প্ৰভাৱশালী ভূমিকা ল'ব বুলি আশা কৰিব পাৰি।

আমি সততে এটা কথা মনত ৰখা উচিত যে সাহিত্য মানেই কিতাপ আৰু চূড়ান্ত বিচাৰত কিতাপো এবিধ পণ্য-সামগ্ৰী মাত্ৰ। পঞ্চদশ শতিকাত মুদ্ৰণ-যন্ত্ৰৰ আবিস্কাৰে কিতাপক বজাৰৰ পণ্য-সামগ্ৰীত পৰিণত কৰিলে। আন কথাত কবলৈ গ'লে সাহিত্যৰ এটা অৰ্থনৈতিক দিশো আছে— যিটো উপেক্ষা কৰি সাহিত্যৰ উৎকৰ্ষ-সাধন কল্পনা কৰিব নোৱাৰি। যিহেতু আধুনিক যুগত কিতাপো এবিধ পণ্য-সামগ্ৰী, সেই কাৰণে কিতাপৰ চাহিদা বৃদ্ধি কৰিবলৈ চেষ্টা কৰাটো যিকোনো সভ্য জাতিৰ এটা অৱশ্য-পালনীয় কৰ্তব্য। ইংৰাজী ভাষা বিশ্ব-ভাষাত পৰিণত হোৱাৰ পিছতো সেই ভাষাৰ কিতাপৰ বজাৰ চৌদিশে সম্প্ৰসাৰিত কৰিবলৈ ইংৰাজসকলৰ চেষ্টাৰ অন্ত নাই। আমাৰ দেশত বৃটিছ কাউন্সিলৰ কাৰ্যাবলীয়ে তাৰ প্ৰমাণ।

অসমীয়া-ভাষী লোকৰ সংখ্যা এতিয়া প্ৰায় ডেৰ কোটিৰ ওচৰ চাপিছে যদিও জনসংখ্যা অনুপাতে অসমীয়া কিতাপ পঢ়া মানুহৰ সংখ্যা আশানুৰূপ নহয়। তাৰ একাধিক কাৰণৰ ভিতৰত এটা প্ৰধান কাৰণ হ'ল ব্যাপক নিৰক্ষৰতা। শেহতীয়া হিচাপ অনুযায়ী অসমৰ ছাব্বিশ শতাংশ শিশুৱে এতিয়াও স্কুলৰ মুখ দেখা নাই। এই ছবিখন আটাইতকৈ ভয়াবহ অসমৰ চাহ বাগিচাবোৰত অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় কুৰি শতাংশ হ'ল চাহ জনজাতিৰ মানুহ। তেওঁলোক বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ-এই কথা মুখেৰে মন্ত্ৰৰ দৰে উচ্চাৰণ কৰি থাকিবলৈ আমি কেতিয়াও নাপাহৰোঁ। কিন্তু তেওঁলোকৰ বেছিভাগ মানুহেইযে এতিয়াও নিৰক্ষৰতা আৰু অজ্ঞানতাৰ অন্ধকাৰ পাতালত নিৰ্বাসিত হৈ আছে সেই কথা আমি কাছিংহে মনত পেলাওঁ। সেই একেটা কথাকে ক'ব পাৰি চৰবাসী মিএগ মুছলমান সকলৰ বিষয়েও। এই দুয়োটা জনগোষ্ঠীৰ মানুহে অসমীয়া সমাজত লীন হৈ অসমীয়া-ভাষী মানুহৰ সংখ্যা বৃদ্ধি কৰিছে। কিন্তু শিক্ষাৰ অভাৱত তেওঁলোকে অসমীয়া সাহিত্যৰ বজাৰখন বহল কৰাৰ

কামত এতিয়ালৈকে বিশেষ অৱিহণা যোগাব পৰা নাই।

সাহিত্য সভাই সাহিত্য সৃষ্টি কৰিব নোৱাৰে; কিন্তু অসমীয়া কিতাপৰ পাঠকৰ সংখ্যা বৃদ্ধি কৰিবলৈ চেষ্টা কৰি সাহিত্য সভাই অসমীয়া সাহিত্যক সমৃদ্ধ কৰাত পৰোক্ষভাৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। বৰং মই এই বুলিও ক'ব খোজোঁ যে ই সাহিত্য সভাৰ এটা প্ৰধান কৰ্তব্য বুলি বিবেচিত হোৱা উচিত। পাঠকৰ সংখ্যা বৃদ্ধি কৰাৰ এটা প্ৰধান উপায় হ'ল সমাজত সাক্ষৰ তথা শিক্ষিত মানুহৰ সংখ্যা বৃদ্ধি কৰা। এই উদ্দেশ্যে অসম সাহিত্য সভাই যদি সাক্ষৰতা অভিযানক এটা প্ৰধান কাৰ্যসূচী হিচাপে গ্ৰহণ কৰে আৰু সেই অভিযানৰ কাৰণে অগ্ৰাধিকাৰৰ ভিত্তিত চাহ বাগিচা আৰু চৰ অঞ্চলৰ কৰ্মক্ষেত্ৰ হিচাপে বাছি লয়, তেন্তে একে সময়তে সাহিত্য সভাৰ তিনিটা লাভ হ'ব পাৰে। প্ৰথমতে, এনে এখন নতুন কৰ্মক্ষেত্ৰই সাহিত্য সভাক গতানুগতিকতাৰ অৱসাদৰ পৰা মুক্ত কৰি সভাৰ মাজত নতুন উৎসাহ-উদ্দীপনাৰ সঞ্চাৰ কৰিব। দ্বিতীয়তে, চাহ জনজাতি আৰু মিঞা মুছলমানৰ মাজত সাক্ষৰতা অভিযান চলাই দুয়োটা বিশাল সম্ভাৱনাপূৰ্ণ জনগোষ্ঠীক অসম সাহিত্য সভাই আৰু বেছিকৈ অসমীয়া জাতিৰ বুকুৰ মাজলৈ টানি আনিব পাৰিব— যাৰ ফলত প্ৰকৃত অৰ্থত বৃহত্তৰ অসমীয়া জাতি গঢ়াৰ কৃতিত্ব অসম সাহিত্য সভাই দাবী কৰিব পাৰিব। যি ক্ষেত্ৰত ৰাজনীতিয়ে সমাজত বিভেদৰ বীজ সিঁচিছে, সেই ক্ষেত্ৰত সাহিত্যই মিলনৰ পথ প্ৰশস্ত কৰিব লাগিব। আমি আমাৰ দেশৰ পৰা ইংৰাজসকলক খেদি পঠিয়ালেও ইংৰাজী ভাষাক ত্যাগ নকৰিলোঁ। অসমীয়া ভাষা আৰু সাহিত্যকো আমি এনেভাৱে বিকশিত আৰু জনপ্ৰিয় কৰি তুলিব লাগিব— যাৰ ফলত ই অসমৰ আটাইবোৰ জনগোষ্ঠীৰ মাজত এটা বিৰাট ঐক্য-সাধিকা শক্তিত পৰিণত হ'ব পাৰিব। তৃতীয়তে, অসম সাহিত্য সভাই চাহ বাগিচা আৰু চৰ অঞ্চলত এন-জি-অ'(NGO) তথা বে-চৰকাৰী সংস্থাৰ ভূমিকা লৈ সাক্ষৰতা অভিযানক বিশেষ কাৰ্যসূচী হিচাপে গ্ৰহণ কৰিলে চৰকাৰী-বেচৰকাৰী বিভিন্ন উৎসৰ পৰা পৰ্যাপ্ত পৰিমাণৰ অৰ্থ-সাহায্য পোৱা যাব পাৰে বুলি মই বিশ্বাস কৰোঁ।

অসম সাহিত্য সভাৰ অৰ্থাভাৱ দূৰ কৰিবলৈ মই যদিও ইমানপৰে চৰকাৰী অনুদান বৃদ্ধি কৰাৰ ওপৰতে বিশেষ জোৰ দিছোঁ, তাৰ অৰ্থ কিন্তু এইটো নহয় যে সাহিত্য সভা সম্পূৰ্ণৰূপে চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব। সাহিত্য-সভাখন যদি প্ৰকৃত অৰ্থত ৰাইজৰ অনুষ্ঠান হ'ব লাগে, তেন্তে ৰাইজেও সাধ্যানুসাৰি দান-বৰঙণি দি সভাখনক আৰ্থিকভাৱে সবল আৰু স্বাবলম্বী কৰি তুলিব লাগিব। ৰাইজে নখ জোকাৰিলে নৈ বয়— এই কথা কামেৰে প্ৰমাণ কৰাটো একো টান কাম নহয়। এই প্ৰসঙ্গতে বিখ্যাত বাঙালী ভাষাতত্ত্ববিদ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে লিখি থৈ যোৱা এচা সত্য সাহিনী মোৰ মনলৈ আহিছে। কিবা এখন সৰ্বভাৰতীয় পণ্ডিত সম্মিলনত যোগ দিবলৈ এবাৰ ড° চট্টোপাধ্যায়ে মাদ্ৰাজলৈ যাব লগা হৈছিল। ট্ৰেইনখনে সেই সময়ৰ মাদ্ৰাজ প্ৰদেশত প্ৰবেশ কৰাৰ পিছত বিভিন্ন ষ্টেশ্যনত কেইবাজনো মাদ্ৰাজী পণ্ডিত ট্ৰেইনত উঠি তেওঁৰ সহযাত্ৰী হ'ল। এনেতে কোনোবা এটা ষ্টেশ্যনত উঠিল দেখিলে ভিক্ষাৰী যেন লগা এজন মানুহ। তেওঁ ড° চট্টোপাধ্যায়ৰ কোঠাটোত সোমাই নীৰৱে প্ৰত্যেকজন যাত্ৰীৰ সমুখত ভিক্ষাপাত্ৰ দাঙি ধৰিলে। মাদ্ৰাজী যাত্ৰীকেইজনে বিনা-বাক্য-ব্যয়ে যাৰ যি সামৰ্থ্য বা ইচ্ছা সেই অনুযায়ী ভিক্ষাপাত্ৰটোত ধন ঢালি দিলে। ড° চট্টোপাধ্যায়ে ভিক্ষা-বৃত্তিক অতি ঘৃণাৰ দৃষ্টিৰে চাইছিল আৰু পৰাপক্ষত ভিক্ষাৰীক কেতিয়াও প্ৰশ্ৰয় নিদিছিল। ভিক্ষাৰীজনে তেওঁৰ সম্মুখত থিয় হোৱা মাত্ৰকতে ড° চট্টোপাধ্যায়ে তেওঁক ভেকাহি মাৰি খেদি দিলে। পিছৰ ষ্টেশ্যনটোত ভিক্ষাৰীজনে ট্ৰেইনৰ পৰা নামি গ'ল। তেতিয়া মাদ্ৰাজী পণ্ডিতকেইজনে ড° চট্টোপাধ্যায়ক কবলৈ ধৰিলে— 'ড° চট্টোপাধ্যায়, সেই আপুনি আজি কাক অপমান কৰি বিদায় কৰিলে সেই কথা জানেনে? যিজন মানুহক আপুনি ভিক্ষাৰী বুলি ভাবিছে তেওঁতো ভিক্ষাৰী নহয়েই, আচলতে তেওঁ এজন কোটিপতি বণিক। মাদ্ৰাজৰ আটাইতকৈ ধনী মানুহকেইজনৰ ভিতৰত তেৱোঁ এজন। তেওঁ এতিয়া এটা মন্দিৰ নিৰ্মাণৰ কামত হাত দিছে। সেই বিশাল মন্দিৰটো নিৰ্মাণ কৰিবলৈ প্ৰায় এক কোটি টকাৰ প্ৰয়োজন হ'ব। সেই সমুদায় ধন কোটিপতি বণিকজনে অকলেই দিব পাৰে। দিব পাৰে নহয়, প্ৰায় নিৰান্নৱৈ শতাংশ ধন তেওঁ অকলে ইতিমধ্যে দিছেই। কিন্তু তেওঁ ভাবে যে মন্দিৰ-নিৰ্মাণৰ কাৰণে প্ৰয়োজনীয় সমস্ত ব্যয়-ভাৰ যদি অকলেই বহন কৰে, তেন্তে মন্দিৰটো তেওঁৰ ব্যক্তিগত সম্পত্তিৰ নিচিনা হ'ব। কিন্তু তেওঁ সেইটো নিবিচাৰে। সেই কাৰণে মন্দিৰ নিৰ্মাণৰ কাৰণে প্ৰয়োজন হোৱা মুঠ ধনৰ নিৰান্নৱৈৰে শতাংশ তেওঁ অকলে দিলেও বাকী এক শতাংশ ধন তেওঁ সংগ্ৰহ কৰিছে এটকা-দুটকাকৈ ভিক্ষা কৰি— যাতে ধনী-দৰিদ্ৰ নিৰ্বিশেষে সকলো মানুহেই নিজৰ

নিজৰ সাধ্য অনুযায়ী সেই মন্দিৰ-নিৰ্মাণৰ কাৰ্যত অংশ ল'ব পাৰে আৰু তাকে কৰি মন্দিৰটোৰ লগত আত্মীয়তা অনুভৱ কৰিব পাৰে।'

অসম সাহিত্য সভাকো এটা মন্দিৰ বুলি কল্পনা কৰি লৈ ভিক্ষাপাত্ৰ হাতত লৈ প্ৰতিজন অসমবাসীৰ ওচৰলৈ যাব পাৰোঁ। চৰকাৰৰ পৰা বা সাহিত্যানুৰাগী ধনবান লোকসকলৰ পৰা আমি হয়তো বিচাৰিম লাখ লাখ টকা; কিন্তু সৰ্বসাধাৰণ মানুহৰ পৰা আমি বিচাৰিম গাইপতি মাত্ৰ পাঁচ টকা বা দহ টকা। এনেকৈ পাঁচ টকা বা দহ টকা দান দিয়া প্ৰত্যেকজন ব্যক্তিয়েই হ'ব অসম সাহিত্য সভাৰ প্ৰাথমিক সদস্য। সাহিত্য সভাত শাখা সভাবোৰে যদি এনেকৈ সদস্য-ভুক্তিৰ অভিযান চলাই মাত্ৰ এক লাখ মানুহকো সাহিত্য সভাৰ সদস্য কৰিব পাৰে, তেন্তে ৰাজ্য চৰকাৰে এতিয়া সাহিত্য সভাক বছৰি দি থকা চাৰি লাখ টকাৰ বিপৰীতে ৰাইজৰ পৰা আমি বছৰি অতি কমেও পাঁচ লাখ টকা সংগ্ৰহ কৰিব পাৰোঁ। যি অসম-বাসী ৰাইজে সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনবোৰক জনসমুদ্ৰত পৰিণত কৰি সাহিত্য সভাৰ প্ৰতি বিপুল অনুৰাগ প্ৰদৰ্শন কৰে, তেওঁলোকৰ পক্ষে সাহিত্য সভালৈ বছৰি গাইপতি মাত্ৰ পাঁচ টকা বৰঙণি আগবঢ়োৱাটো বিশেষ একো টান কথা বা ত্যাগ-স্বীকাৰ বুলি বিবেচনা হোৱা উচিত নহয়। অসম সাহিত কেৱল তেতিয়াহে অসমীয়া ৰাইজৰ নিজৰ অনুষ্ঠান বুলি পৰিগণিত হ'ব— যেতিয়া এই অনুষ্ঠান পৰিচালিত হ'ব অসমীয়া ৰাইজৰ দান-বৰঙণিৰে। অসমীয়া ৰাইজে যদি গাইপতি নহ'লেও ঘৰেপতি মাত্ৰ পাঁচ টকা বৰঙণি দি অসম সাহিত্য সভাক সহায় নকৰে বা সহায় কৰিব নোখোজে, তেন্তে নিশ্চয়কৈ বুজিব লাগিব যে অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনবোৰত বিপুল জন-সমাগমৰ যোগেদি ব্যক্ত হোৱা আবেগ আৰু উচ্ছাসৰ আতিসহ্য ফুটুকাৰ ফেনৰ বাহিৰে আন একো নহয়। সাময়িক উচ্ছাসক স্থায়ী সাধনালৈ ৰূপান্তৰিত কৰিব নোৱাৰাটো হ'ল বৰ্তমানৰ যুগৰ অসমীয়াসকলৰ এটা জাতিগত চাৰিত্ৰিক ত্ৰুটি।

এইখিনিতে এটা কথা স্পষ্ট কৰি দিয়া দৰকাৰ যে 'অসমীয়া' শব্দটো মই সংকীৰ্ণ অৰ্থত ব্যৱহাৰ কৰা নাই। থলুৱা জনজাতিসকলৰ উপৰিও নৱাগত চাহ জনজাতি আৰু মিঞা মুছলমানসকলক লৈ ইতিমধ্যে এটা বৃহত্তৰ অসমীয়া জাতি গঢ় লৈ উঠিছে। কিন্তু অসমীয়া জাতি এতিয়াতকৈয়ো বহু গুণে বেছি ডাঙৰ হোৱাৰ সম্ভাৱনা আছে। অসমত পুৰুষানুক্ৰমে বাস কৰা নেপালী, মাৰোৱাৰী, হিন্দুস্থানী আৰু বাঙালী আদি আন কেইবাটাও জনগোষ্ঠীয়েও বৃহত্তৰ অসমীয়া জাতি গঠন কৰাৰ প্ৰক্ৰিয়াত অংশ ল'বলৈ স্বেচ্ছাই আগবাঢ়ি আহিছে। যিহেতু অসমেই তেওঁলোকৰ জন্মভূমি আৰু কৰ্মভূমি, একমাত্ৰ অসমৰ বাহিৰে এই বিশাল বিশ্বত তেওঁলোকৰ দ্বিতীয় এখন আশ্ৰয়-স্থল নাই, গতিকে অসমীয়াসকলে তেওঁলোকক পৰ বুলি নিলগাই নাৰাখি আপোন কৰি ল'লে, অসমীয়া কৰি ল'লে অসমীয়াসকলৰ লাভৰ বাহিৰে একো ক্ষতি নাই। লাভ হ'ব এইটোৱেই যে পৃথিৱীৰ প্ৰায় সকলো দেশৰ সকলো জাতিৰ মানুহক লৈ বৃহৎ আৰু শক্তিশালী আমেৰিকান জাতি গঢ়ি উঠাৰ দৰে যোৱা দুটা শতিকাত অসমলৈ আহি ইয়াৰ স্থায়ী বাসিন্দাত পৰিণত হোৱা সকলো জনগোষ্ঠীৰ মানুহক লৈ এটা বৃহত্তৰ অসমীয়া জাতি গঢ়ি তুলিব পৰা যাব। তেতিয়া সামাজিক ভেদাভেদ আৰু স্বাৰ্থৰ সংঘাতৰ অন্ত পৰিব; আনহাতে নৱাগত জনগোষ্ঠীবোৰৰ প্ৰতিভা আৰু শ্ৰম-শক্তিক অসমীয়া ভাষাৰ শক্তি-বৃদ্ধি আৰু সাহিত্য-সংস্কৃতিৰ বিকাশৰ কামত নিয়োগ কৰিব পৰা যাব।

মই যদিও এই কথাটো অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা কৈছোঁ, কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাত স্থায়ীভাৱে বাস কৰা সকলো জনগোষ্ঠীক আপোন কৰি লৈ এটা বৃহত্তৰ অসমীয়া জাতি গঠন কৰাৰ স্বপ্ন মই বহু বছৰৰ আগৰ পৰাই দেখি আহিছোঁ। ১৯৬৮ চনৰ পৰা ১৯৭৭ চনলৈকে মই যেতিয়া সাপ্তাহিক নীলাচল নামৰ বাৰ্তালোচনীৰ সম্পাদক আছিলোঁ, তেতিয়া মই অসমৰ চাৰিটা বৃহৎ জনগোষ্ঠীৰ নামত বাৰ্তালোচনীখনৰ চাৰিটা বিশেষ সংখ্যা প্ৰকাশ কৰিছিলোঁ। সেই জনগোষ্ঠীকেইটা আছিল যথাক্ৰমে ন-অসমীয়া মুছলমান, চাহ জনজাতি, নেপালী আৰু ৰাজস্থানী। মই তেতিয়াই সেই জনগোষ্ঠীকেইটাৰ নেতৃস্থানীয় লোকসকলৰ দ্বাৰাই এই কথা কোৱাইছিলোঁ যে তেওঁলোক আটায়েই বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ আৰু অসমীয়া সভ্যতা-সংস্কৃতিৰ বিকাশৰ কাৰণে কাম কৰিবলৈ তেওঁলোক অংগীকাৰবদ্ধ। যোৱা তিনিটা দশকত তেওঁলোকে সেই অংগীকাৰ বহুখিনি পালন কৰিছে। চাহ জনজাতিৰ মানুহ আৰু মিঞা মুছলমানসকল পানীত চেনি মিলি যোৱাৰ দৰে অসমীয়া জাতিৰ লগত মিলি গৈছে। সেই একে কথাকে ক'ব পাৰি নেপালীসকলৰ বিষয়েও। পাৰ্থক্য কেৱল এইটোৱেই যে

অসমীয়া হৈয়ো তেওঁলোকে নিজৰ ভাষা আৰু সাহিত্যৰ চৰ্চা কৰিবলৈ এৰা নাই। কিন্তু নিজৰ ভাষা-সাহিত্য ত্যাগ নকৰিও নেপালীসকল খাঁটি অসমীয়া হোৱাত একো বাধা নাই। সেই কথালৈ মই অলপ পিছতে আহিম। ব্ৰহ্মপুত্ৰ উপত্যকাৰ গ্ৰামাঞ্চলত বাস কৰা বাঙালীসকল অসমীয়া পঢ়াশালিত অসমীয়া ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰি সম্পূৰ্ণভাৱে অসমীয়া হৈ গৈছে। যিসকল চহৰীয়া বাঙালীয়ে বাংলা ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰিছে তেওঁলোকো অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি শ্ৰদ্ধাশীল। তেওঁলোকৰ মাজৰে বহুত শিক্ষিত বাঙালীয়ে সাহিত্য-চৰ্চাৰ মাধ্যম হিচাপে বাছি লৈছে অসমীয়া ভাষাক। বস্তুতঃ ষোল্ল পুটামান দশকত অসমত যিসকল প্ৰতিভাবান আৰু প্ৰতিশ্ৰুতিসম্পন্ন লেখকে আত্ম-প্ৰকাশ কৰিছে তেওঁলোকৰ ভিতৰত কেৰাজনো হ'ল বাঙালী। গাঁও আৰু আধা-চহৰত বাস কৰা বেছিভাগ মাৰোৱাৰী আৰু হিন্দুস্থানী মানুহে অসমীয়া পঢ়াশালিত অসমীয়া ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰি স্বেচ্ছাই অসমীয়াত্বৰ অংশীদাৰ হৈছে। চহৰীয়া শিক্ষিত মাৰোৱাৰীয়ে অসম সাহিত্য সভাৰ শাখা গঠন কৰি অসমীয়া ভাষাৰ শ্ৰেষ্ঠ সাহিত্য-কৃতিসমূহ হিন্দী ভাষালৈ অনুবাদ কৰাৰ মহৎ কৰ্মত ব্ৰতী হৈছে। হিন্দীভাষী জৈনসকলে তেওঁলোকৰ ধৰ্মালোচনী আৰু ধৰ্ম-পুস্তক প্ৰণয়ন কৰিছে অসমীয়া ভাষাত।

বিশেষভাৱে মন কৰিবলগীয়া কথাটো হ'ল এই যে এই গোটেইবোৰ যুগান্তকাৰী ঘটনা ঘটিছে অতি নীৰৱে— যেনেকৈ গছ নীৰৱে বাঢ়ি থাকে, ফুল নীৰৱে ফুলি থাকে। ইয়াৰ পৰা এই কথাকেই বুজিব পাৰি যে এই নৱাগত জনগোষ্ঠীৰ লোকসকলে নিজকে অসমীয়া বুলি বৌজাল-বৌজাল কৰি প্ৰচাৰ কৰা নাই। তেওঁলোকে কোনো প্ৰতিদানৰো আশা কৰা নাই। কিন্তু অতীতৰ অভিজ্ঞতাৰ পৰা শিক্ষা লৈ আৰু আত্ম-ৰক্ষাৰ স্বভাৱগত প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত হৈ তেওঁলোকে এই কথা বুজি উঠিছে যে যিখন ৰাজ্যত তেওঁলোকে পুৰুষানুক্ৰমে বাস কৰিব লাগিব সেইখন ৰাজ্যৰ প্ৰধান সংখ্যাগৰিষ্ঠ জনগোষ্ঠীটোৰ লগত গভীৰ আত্মীয়তাৰ সম্পৰ্ক স্থাপন কৰিব পাৰিলে তেওঁলোকৰ নিজৰেই মংগল। তেওঁলোকৰ এই পৰিবৰ্তিত ইতিবাচক দৃষ্টিভংগীৰ সুযোগ লৈ অসমীয়াসকলে যদি তেওঁলোকক আপোন বুলি আঁকোৱালি লয়, অসমীয়াসকলেও যদি তেওঁলোকৰ প্ৰতি দৃষ্টিভংগী সলনি কৰে, তেন্তে অসমীয়া জাতি অচিৰেই এটা বৃহৎ জাতিত পৰিণত হ'ব। অসমীয়া জাতি এতিয়াতকৈ ডাঙৰ হোৱাৰ আন এটা অৰ্থ হ'ল অসমীয়া ভাষাৰ শক্তি বৃদ্ধি আৰু অসমীয়া সাহিত্যৰ পাঠকৰ সংখ্যা-বৃদ্ধি।

এনে এটা বৃহত্তৰ অসমীয়া জাতি-গঠনত প্ৰধান ভূমিকা ল'ব পাৰে একমাত্ৰ অসম সাহিত্য সভাই। মই আগতেই কৈ আহিছোঁ যে যি স্থূলত ৰাজনীতিয়ে বিভেদৰ বীজ সিঁচে, তেনে ক্ষেত্ৰত সাহিত্যই মিলনৰ পথ প্ৰশস্ত কৰে। অসম সাহিত্য সভাই দান-ৰৱঙণি বিচাৰি কেৱল খিলঞ্জীয়া অসমীয়াসকলৰ ওচৰলৈ গ'লেই নহ'ব, সভাই ভিক্ষাপাত্ৰ হাতত লৈ যাব লাগিব বাঙালী, মাৰোৱাৰী, নেপালী, বিহাৰী আদি আটাইবোৰ জনগোষ্ঠীৰ মানুহৰ ওচৰলৈ। মই বিশ্বাস কৰোঁ যে এই জনগোষ্ঠীৰ মানুহবোৰেও মাত্ৰ পাঁচ টকা বা দহ টকা ৰৱঙণি দি অসম সাহিত্য সভাৰ প্ৰাথমিক সদস্য হৈ নিজৰ অসমীয়াত্ব প্ৰমাণ কৰাৰ সুযোগ কেতিয়াও নেৰিব। এনেকৈ খিলঞ্জীয়া আৰু নৱাগত সকলো জনগোষ্ঠীৰ ধনী-দৰিদ্ৰ নিৰ্বিশেষে সকলো মানুহৰ পৰা নামমাত্ৰ ৰৱঙণি সংগ্ৰহ কৰাৰ ফলত কেৱল অসম সাহিত্য সভাৰ পুঁজি টনকিয়াল হ'ব এনে নহয়; ইয়াৰ ফলত অসম সাহিত্য সভাৰ অনুকূলে এটা ব্যাপক জন-জাগৰণ সৃষ্টি হ'ব— ঠিক যেনেকৈ হৈছিল চল্লিশৰ দশকত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে এটকা-আধলিকৈ ধন সংগ্ৰহ কৰাৰ সময়ত।

এই মাত্ৰ মই কলোঁ যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঙালী, বিহাৰী, মাৰোৱাৰী আৰু নেপালী প্ৰভৃতি সম্প্ৰদায়ৰ লোকসকলেও অসম সাহিত্য সভালৈ মাত্ৰ পাঁচ টকা বা দহ টকা অৰিহণা আগবঢ়াই নিজৰ অসমীয়াত্ব প্ৰমাণ কৰাৰ সুযোগ কেতিয়াও নেৰিব। কিন্তু মই আচলতে কি ক'ব খুজিছো সেইটো অলপ বহলাই নক'লে কথাষাৰৰ ভুল ব্যাখ্যা হোৱাৰ সম্ভাৱনা আছে। এই কথাৰ দ্বাৰাই মই ক'ব খোজা নাই যে বাঙালী, নেপালী আৰু হিন্দীভাষী লোকসকলে নিজৰ নিজৰ ভাষা ক'বলৈ এৰি দি বা সেই ভাষাত সাহিত্য-চৰ্চা নকৰি সম্পূৰ্ণভাৱে অসমীয়া-ভাষী হৈ যাব লাগিব। এই কথা ঠিক যে পৰিস্থিতিৰ তাড়নাত এইবোৰ নৱাগত জনগোষ্ঠীৰ বহুতো মানুহে নিজৰ মাতৃভাষা পাহৰি পেলাই সম্পূৰ্ণভাৱে অসমীয়া হৈ গৈছে। স্বাভাৱিক প্ৰক্ৰিয়াত হোৱা এনে ঘটনা অসমীয়াসকলৰ কাৰণে নিশ্চয় আদৰণীয়, কাৰণ সি অসমীয়া জাতিৰ সংখ্যাগত শক্তি বৃদ্ধি কৰে। কিন্তু এইবোৰ জনগোষ্ঠীৰ যিসকল লোকে নিজৰ ভাষাৰ প্ৰতি আনুগত্য অক্ষুন্ন ৰাখিও অসমীয়া জাতীয় সাধনালৈ সমান অংশীদাৰ হ'ব

খোজে, তেওঁলোকৰ কাৰণে এটা নতুন পথ উলিয়াব লাগিব।

মোৰ ব্যক্তিগত অভিমত হ'ল এইটোৱেই যে আমি থলুৱা জনজাতিসকলৰ ভাষাৰ প্ৰতি যি দৃষ্টিভংগী গ্ৰহণ কৰিছোঁ, সেই একে দৃষ্টিভংগীকে গ্ৰহণ কৰিব লাগিব ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঙালী, নেপালী আৰু হিন্দুস্থানী জনগোষ্ঠীৰ ভাষাৰ প্ৰতিও। ধমক দি বা ভীতি-প্ৰদৰ্শন কৰি কোনেও কাকো নিজৰ মাতৃভাষা ত্যাগ কৰিবলৈ বাধ্য কৰিব নোৱাৰে। আমি অসমীয়া সকলে যেনেকৈ নিজৰ মাতৃভাষাক প্ৰাণভৰি ভাল পাও আৰু 'চিৰ চেনেহী ভাষা জননী' বুলি মাতৃভাষাৰ বন্দনা কৰোঁ, সকলো জনগোষ্ঠীৰ মানুহে ঠিক তেনেকৈ নিজৰ মাতৃভাষাক ভাল পায়। এই কথাটো মনত নৰখাৰ কাৰণে আমি অসমীয়া সকলে ভাষাৰ প্ৰশ্নত অতীতত কেবাটাও ডাঙৰ ভুল কৰিছোঁ— যাৰ কু-ফল আমি বহু দিনলৈ ভোগ কৰি থাকিব লাগিব।

এনে এটা সময় আছিল— যিটো সময়ত বড়ো-ৰাভা-মিছিং-কাৰবি-তিৱা-দেউৰী আদি অসমৰ সকলো জনগোষ্ঠীৰ মানুহৰ বিদ্যাৰ্জন, জ্ঞান-চৰ্চা আৰু সাহিত্য-সৃষ্টিৰ ভাষা আছিল অসমীয়া। ঘৰত যেয়ে যি ভাষা নকও কিয়, কিন্তু সামাজিক জীৱনত তেওঁলোকে একমাত্ৰ অসমীয়া ভাষাকে নিজৰ ভাষা বুলি স্বীকাৰ কৰি লৈছিল। সেই কাৰণে সেই সময়ত বিষ্ণুপ্ৰসাদ ৰাভা, সোণাৰাম পায়েং পণ্ডিত, চাৰুচন্দ্ৰ দলে, মুহিচন্দ্ৰ মিৰি, চকভাল কাগয়ুং, তৰণচন্দ্ৰ পামেগাম, দণ্ডীধৰ ফাটোৱালি আৰু সীতানাথ ব্ৰহ্মচৌধুৰী প্ৰভৃতি লেখকসকলক কোনেও মিৰি, বড়ো কিম্বা সোণোৱাল কছাৰী সম্প্ৰদায়ৰ অসমীয়া লেখক বুলি ভবা নাছিল; ফুকন-বৰুৱা-শৰ্মা উপাধী ধাৰী আন যিকোনো অসমীয়া লিখকৰ দৰে তেওঁলোকৰ একমাত্ৰ পৰিচিতি আছিল অসমীয়া ভাষা-সাহিত্যৰ সেৱক বুলি। কিন্তু দেশ স্বাধীন হোৱাৰ পিচৰ পৰাই জনজাতি সমাজো আধুনিক উচ্চ শিক্ষাত শিক্ষিত এটা নতুন সম্প্ৰদায়ৰ সৃষ্টি হ'ল আৰু তেওঁলোকে নিজৰ নিজৰ জনগোষ্ঠীয় আত্ম-পৰিচয় প্ৰতিষ্ঠিত কৰাৰ মানসেৰে এটা উচ্চাভিলাসী ৰাজনৈতিক আৰু সাংস্কৃতিক আন্দোলন আৰম্ভ কৰিলে। বস্তুতঃ এই জনজাতীয় নৱজাগৰণে আছিল স্বাধীনতাৰ পিচৰ দেশৰ উত্তৰ-পূৰ্বাঞ্চলত ঘটা আটাইতকৈ গুৰুত্ব-পূৰ্ণ ঘটনা। তেওঁলোকৰ সাংস্কৃতিক আন্দোলনৰ প্ৰধান কাৰ্যসূচী আছিল জনজাতীয় কথ্য ভাষাবোৰক আধুনিক ৰূপত সজাই-পৰাই তাক শিক্ষা আৰু সাহিত্য-চৰ্চাৰ মাধ্যম কৰি তোলা। কিন্তু দুৰ্ভাগ্যৰ কথা য প্ৰথম অৱস্থাত অসমীয়া-ভাষী লোকসকলে জনজাতীয় আশা-আকাঙ্খাৰ প্ৰতি শুদ্ধ দৃষ্টিভংগী গ্ৰহণ কৰিব পৰা নাছিল। কাৰণ তেওঁলোকে জনজাতীয় মনস্তত্ত্ব বুজিবলৈ চেষ্টা কৰা নাছিল। সংখ্যাত তাকৰীয়া অসমীয়া মানুহখিনি ভাষাৰ প্ৰশ্নত শতাব্দীৰ অধিক কাল ধৰি নিৰাপত্তাবোধৰ অভাৱত সদা-শংকিত হৈ থকাৰ ফলত জনজাতীয় ভাষা-আন্দোলনৰ মাজত তেওঁলোকে দেখা পাইছিল অসমীয়া ভাষাৰ প্ৰতি বিপদ-সংকেত। তেওঁলোকে আশংকা কৰিছিল যে জনজাতীয় লোকসকলে নিজকে অসমীয়া-ভাষী বুলি পৰিচয় দিবলৈ এৰিলে অসমীয়া মানুহৰ সংখ্যা ভালেখিনি হ্ৰাস পাব আৰু ফলত অসমতেই অসমীয়া ভাষাৰ প্ৰাধান্য বিপন্নহব। অৰ্থাৎ একে আষাৰে কবলৈ গ'লে অসমীয়া ভাষাৰ একক প্ৰাধান্য অক্ষুন্ন ৰখাৰ স্বাৰ্থতেই অসমীয়া সকলে জনজাতীয় ভাষাবোৰক মূৰ দাঙিবলৈ দিব খোজা নাছিল। এই অদূৰদৰ্শী স্বাৰ্থপৰ ভুল নীতিৰ পৰিণাম কি হ'ল সেই বিষয়ে বহলাই কোৱাৰ সকাম নাই। সকলোৱে নিজৰ চকুৰ আগতে সেইটো দেখি আহিছে।

শুদ্ধ নীতিটো হ'ব এইটোৱেই যে আমি সংখ্যাগৰিষ্ঠ অসমীয়া সকলে সকলোবোৰ জনজাতীয় ভাষাৰে স্বতন্ত্ৰ অস্তিত্ব আৰু বিকাশৰ অধিকাৰ মানি ল'ব লাগিব আৰু ছাঁটোতে বাঘটো দেখাৰ দৰে এই ভাষাবোৰৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ দাবীৰ মাজত অসমীয়া ভাষাৰ প্ৰতি কোনো বিপদ-সংকেত আবিষ্কাৰ কৰিব নালাগিব। মানুহে কিছুমান কাম কৰে ঔচিত্য-বোধৰ তাড়নাত; কিছুমান কাম কৰে সাময়িক বা স্থায়ী আবেগৰ বশবতী হৈ; আন কিছুমান কাম কৰে অনিবাৰ্য ব্যৱহাৰিক প্ৰয়োজনত। জনজাতীয় ভাষা-আন্দোলনবোৰৰ প্ৰধান চালিকা শক্তি হ'ল তেওঁলোকৰ জাতীয় মৰ্যাদা বোধ আৰু গৌৰৱৰ পৰা ওপজা এক মহৎ আবেগ। এই আবেগক আমি সম্মান কৰিবলৈ শিকিব লাগিব; নহ'লে আমাৰ নিজৰ একেধৰণৰ আবেগক প্ৰশ্ৰয় দিবলৈ আমাৰ একো অধিকাৰ নাথাকিব। কিন্তু মহৎ আবেগৰ তাড়নাত তেওঁলোকে নিজৰ ভাষাবোৰৰ বিকাশ ঘটাবলৈ চেষ্টা কৰিছে যদিও ব্যৱহাৰিক প্ৰয়োজনে অসমীয়া ভাষাকো আপোন কৰি ল'বলৈ তেওঁলোকক বাধ্য কৰিছে। এখন বহল পাঠক-সমাজ পোৱাটো প্ৰত্যেকজন লেখকৰে এটা অতি স্বাভাৱিক প্ৰবল আকাংক্ষা। যিসকল জনজাতীয় লেখকে এক মহৎ আবেগৰ বশবতী হৈ নিজৰ ভাষাক জীয়াই ৰাখিবলৈ আৰু তাক বিকশিত কৰিবলৈ সাধনা কৰিছে, সেই একেখিনি লেখকেই বহল পাঠক-সমাজ

বিচাৰি সাহিত্য সৃষ্টি কৰিছে অসমীয়া ভাষাত। বস্তুতঃ যোৱা দুটা দশকত অসমীয়া ভাষাত কেইজনমান আটাইতকৈ প্ৰতিভাবান কবি ওলাই আহিছে জনজাতীয় জনগোষ্ঠীবোৰৰ পৰা। এই বুলি কলেও বোধহয় অত্যুক্তি কৰা নহ'ব যে জনজাতীয় কবি সকলে নব্বৈৰ দশকত অসমীয়া সাহিত্যত এটা নতুন কাব্য-আন্দোলনৰ সূচনা কৰিছে। অতি সুখৰ কথা যে এই কালচোৱাতে নেপালী সম্প্ৰদায়ৰ মাজৰ পৰাও কেবাজনো প্ৰতিভাশীল কবি আৰু প্ৰবন্ধকাৰ ওলাই আহি আধুনিক অসমীয়া সাহিত্যৰ দিগন্ত বহল কৰিছে। বড়ো সকলৰ এটা অংশ সম্পূৰ্ণৰূপে অসমীয়া-ভাষী। তেওঁলোকৰ মাজৰ পৰা ওলাই অহা কেইবাজনো কবি আৰু লেখক ইতিমধ্যে অসমীয়া ভাষাত শ্ৰেষ্ঠ লেখক ৰূপে স্বীকৃত হৈছে। আন্তৰ্জাতিক খ্যাতি-সম্পন্ন চিত্ৰকৰ আৰু ভাস্কৰ শোভা ব্ৰহ্মই তেওঁৰ ভাষা প্ৰকাশৰ সাধন হিচাপে একমাত্ৰ অসমীয়া ভাষাকেই বাছি লৈছে। কিন্তু যিটো বৃহৎ অংশই বড়ো ভাষাৰ উন্নতিকেই জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিছে, তেওঁলোকেও কিন্তু অসমীয়া ভাষা-সাহিত্যক সম্পূৰ্ণৰূপে পাহৰি যোৱা নাই । অসমীয়া ভাষাৰ বহুত উৎকৃষ্ট কিতাপ তেওঁলোকে পৰিকল্পিত আৰু প্ৰণালীবদ্ধভাবে বড়ো ভাষলৈ অনুবাদ কৰি আছে। এই কাম কৰিবৰ কাৰণে বড়ো সাহিত্য সভাৰ 'বাছনি আৰু অনুবাদ উপ-সমিতি' নামৰ এখন উপ-সমিতি আছে— যি ধৰণৰ উপ-সমিতি অসম সাহিত্য সভাৰো নাই। বড়ো সাহিত্য সভাই যেনেকৈ পৰিকল্পিত ভাবে বছা-বছা অসমীয়া কিতাপ বড়ো ভাষালৈ অনুবাদ কৰি আছে, ঠিক তেনেকৈ অসম সাহিত্য সভায়ো বড়ো আৰু অন্যান্য জনজাতীয় ভাষাবোৰৰ নিৰ্বাচিত ৰচনাবলীৰ একোটা বছেৰেকীয়া সংকলন অসমীয়া ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰা উচিত হ'ব। আমি যদি আমাৰ চুবুৰীয়া ভাই-ভনীসকলৰ হৃদয়ৰ ভাব আৰু অনুভূতিৰ সম্ভেদ নাৰাখোঁ, তেন্তে আমি কেতিয়াও তেওঁলোকৰ লগত আন্তৰিক বন্ধুত্বৰ সম্পৰ্ক স্থাপন কৰিব নোৱাৰিম। তেওঁলোকৰ ভাব আৰু অনুভূতিৰ সম্ভেদ পোৱাৰ এটা প্ৰধান উপায় হ'ল তেওঁলোকে সৃষ্টি কৰা সাহিত্য অধ্যয়ন কৰা। ভাষাৰ বিভিন্নতা স্বত্তেও অসমৰ আটাইবোৰ থলুৱা জনগোষ্ঠী একেই ঐতিহাসিক আৰু সাংস্কৃতিক অভিজ্ঞতাৰ সমান অংশীদাৰ। সেই কাৰণে এই আটাইবোৰ ভাষাত ৰচিত সাহিত্য আমাৰ সকলোৰে উমৈহতীয়া সম্পত্তি।

মোৰ নিজৰ গভীৰ বিশ্বাস যে অসমৰ থলুৱা জনজাতীয় ভাষাবোৰকে ধৰি নেপালী, বাংলা আৰু হিন্দী আদি ভাষাবোৰৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক প্ৰতিযোগিতাৰ নহয়, বৰং সহযোগিতাৰহে। উত্তৰ-পূৰ্বাঞ্চলৰ বৃহত্তম জনগোষ্ঠীৰ ভাষা হিচাপে অসমীয়া ভাষা ইতিমধ্যে এই অঞ্চলৰ প্ৰধান সংযোগী ভাষাৰূপে গৃহীত হৈছে। নিতান্ত ব্যবহাৰিক কাৰণতে অসমীয়া ভাষাক সেই স্থানৰ কোনেও লৰচৰ কৰিব নোৱাৰে। সাহিত্য চৰ্চাৰ মাধ্যম হিচাপেও অসমীয়া ভাষাৰ গ্ৰহণ-যোগ্যতা ক্ৰমাৎ বৃদ্ধি পাইছে। এই ক্ষেত্ৰত অসমীয়া ভাষাৰ ভূমিকাক গ্ৰেট ব্ৰিটেইনৰ ইংৰাজী ভাষাৰ লগত তুলনা কৰিব পাৰি। গ্ৰেট ব্ৰিটেইন বুলিলেই আমাৰ মনলৈ আহে কেৱল ইংৰাজ জাতি আৰু ইংৰাজী ভাষাৰ কথা। কিন্তু প্ৰকৃত পক্ষে গ্ৰেট ব্ৰিটেইন তথা ইউনাইটেড কিংডম গঠিত হৈছে চাৰিখন ৰাজ্যক লৈ। ৰাজ্য চাৰিখন হ'ল ইংলেণ্ড, স্কটলেণ্ড, ওৱেলচ্ আৰু উত্তৰ আয়াৰলেণ্ড। এই চাৰিখন ৰাজ্য যথাক্ৰমে ইংৰাজ, স্কট, ওৱেলচ্ আৰু আইৰিছ জাতিৰ বাসভূমি। ইংৰাজ সকলে বহুত যুদ্ধ বিগ্ৰহ কৰিহে বাকী তিনিটা স্বাধীন জাতিক জয় কৰি গ্ৰেট ব্ৰিটেইন তথা ইউনাইটেড কিংডম গঠন কৰিবলৈ সমৰ্থ হৈছে। কিন্তু এখন ৰাষ্ট্ৰ আৰু এটা জাতিত পৰিণত হোৱা স্বত্তেও স্কট, ওৱেলছ্ আৰু আইৰিছ সকলে নিজৰ অতীত ইতিহাস আৰু স্বকীয় ভাষা-সাহিত্য পাহৰি যাব খোজা নাই। ৰাজনৈতিক স্বায়ত্ত শাসন বা আনকি স্বাধীনতা বিচৰাৰ উপৰিও তেওঁলোকৰ বহুতেই নিজৰ নিজৰ ভাষাক পুনৰুজ্জীৱিত কৰি সেই ভাষাত সাহিত্য সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছে। এই ক্ষেত্ৰত তিনিওটা জাতিৰ লেখকসকল দুটা ভাগত বিভক্ত হোৱা দেখা গৈছে। এভাগ লেখকে বিচাৰে যে তেওঁলোকে ইংৰাজী ভাষা সম্পূৰ্ণৰূপে বিসৰ্জন দি কেৱল নিজৰ জাতিৰ ভাষাতহে— অৰ্থাৎ স্কটিছ, ওৱেলছ্ আৰু আইৰিছ ভাষাতহে সাহিত্য-চৰ্চা কৰা উচিত। কিন্তু বৃহত্তৰ পাঠক-সমাজ বিচৰা বেছিভাগ লেখকে ইংৰাজী ভাষাত সাহিত্য-চৰ্চা কৰাৰ পক্ষপাতী। এই মতৰ পোষকতা কৰা লেখকসকলৰ মুখপাত্ৰ হিচাপে স্কট-বংশোদ্ভূত এডুইন মুইৰৰ নাম উল্লেখ কৰিব পাৰি। নিজে স্কট হোৱা স্বত্তেও তেওঁ ইংৰাজী সাহিত্যৰ এজন শ্ৰেষ্ঠ কবি, প্ৰাবন্ধিক আৰু সমলোচক ৰূপে স্বীকৃত হৈছে। অনবদ্য অনুবাদৰ যোগেদি ফ্ৰানৎস কাফ্কাৰ্ উপন্যাসৰ লগত ইংৰাজীভাষী পৃথিৱীক পৰিচয় কৰি দিয়াৰ কৃতিত্বও তেওঁৰেই প্ৰাপ্য। মই তেওঁৰ এটা কবিতা অসমীয়ালৈ অনুবাদ কৰিছিলোঁ আৰু কবিতাটো 'বামধেনু'ত প্ৰকাশ হৈছিল। মই জনামতে অসমীয়ালৈ অনূদিত হোৱা সেইটোৱেই এডুইন মুইৰৰ একমাত্ৰ কবিতা। সি যি কি নহওক,

স্কটসকলে স্কটভাষাক পুনৰুজ্জীৱিত কৰিবলৈ চেষ্টা কৰাৰ পৰিবর্তে ইংৰাজী ভাষাক সাহিত্য-চর্চাৰ মাধ্যম হিচাপে গ্রহণ কৰাৰ সপক্ষে তেওঁ যি যুক্তি দাঙি ধৰিছিল সি বিশেষভাবে প্রণিধানযোগ্য। তেওঁ কৈছিল যে A writer in Scots lacked an organic community, a major literary tradition, a unified diction and a livelihood; he must therefore accept English as his medium and absorb English tradition। আয়াৰলেণ্ডৰ শ্রেষ্ঠতম কবি উইলিয়াম বাটলাৰ ইয়েটছেও আইৰিছ ভাষাৰ পুনৰুজ্জীৱনৰ বিৰোধিতা কৰি ইংৰাজী ভাষাৰ সপক্ষে কৈছিল— 'Can we not build up ..... a national leterature which shall be none the less Irish in spirit from being English in languag?'

অৱশ্যে এড্ৱইন মুইৰ বা উইলিয়াম বাটলাৰ ইয়েটছৰ মত উদ্ধৃত কৰি মই এই কথা ক'ব খোজা নাই যে অসমৰ থলুৱা জনগোষ্ঠীবোৰে নিজৰ নিজৰ ভাষাক বিকশিত কৰাৰ প্রয়াস পৰিহাৰ কৰি আৰু সেইবোৰ ভাষাত সাহিত্য সৃষ্টি কৰিবলৈ চেষ্টা নকৰি একমাত্র অসমীয়া ভাষাকেই সাহিত্য-চর্চাৰ মাধ্যম হিচাপে গ্রহণ কৰা উচিত। কোনটো কৰা উচিত সেই বিষয়ে মই একো ক'ব খোজা নাই। অসমৰ নিচিনা একে পৰিস্থিতিত আন দেশৰ মানুহে কি কৰিছে সেই কথাহে মই ইয়াত ক'ব খুজিছোঁ। গ্রেট ব্রিটেইনত ইংৰাজীক বাদ দি আন তিনিটা ভাষা পৰিয়ালৰ লেখকসকল তিনিটা ভাগত বিভক্ত হৈছে। বেছিভাগ স্কট, ওৱেল্ছ আৰু আইৰিছ লেখকে কেৱল ইংৰাজী ভাষাত লিখে। তেওঁলোকৰ বহুতেই মহান ইংৰাজ লেখক হিচাপে জগদ্বিখ্যাত হৈছে। কিছুমান লেখকে নিজৰ মাতৃভাষা আৰু ইংৰাজী এই দুয়োটা ভাষাত লিখে। কিছুমান লেখকে নিজৰ মাতৃভাষা আৰু ইংৰাজী এই দুয়োটা ভাষাতে লিখে। কিছুমান লেখকে— খুব সম্ভৱ তেওঁলোক সংখ্যালঘু— লিখে কেৱল নিজৰ ভাষাত। অসমতো অনুৰূপ ঘটনা ঘটাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। অসমৰ মানুহ নহৈয়ো অৰুণাচলৰ লুম্বেৰ দাই আৰু য়েছে দৰজে ঠংচিয়ে অসমীয়া ভাষাত গল্প-উপন্যাস ৰচনা কৰি এখন বৃহৎ পাঠক সমাজ পোৱাৰ উপৰিও অসমীয়া ভাষা সাহিত্যৰ শ্রেষ্ঠ লেখক হিচাপে স্বীকৃতি আৰু সমাদৰ লাভ কৰিছে। এসময়ত অসম সাহিত্য সভাৰ সভাপতিৰ আসন শুৰনি কৰা বড়ো ভাষাৰ বং শাদ্ভুত সীতানাথ ব্রহ্মচৌধুৰীৰ পৰা আৰম্ভ কৰি অনুপমা বসুমতাৰীলৈকে অসমীয়া ভাষাৰ বহুতো শ্রেষ্ঠ লেখক ওলাই আহিছে বড়ো জনজাতিৰ পৰা। কুৰি শতিকাৰ শেষৰটো দশকত অসমীয়া কবিতাৰ ঋতু-পৰিবর্তনৰ সূচনা কৰা তৰুণ কবিসকলৰ ভিতৰত ভালেকেইজন কবি মিছিং সম্প্রদায়ৰ মানুহ। ঠিক সেইদৰে আধুনিক অসমীয়া উপন্যাসলৈ মূল্যবান অৱদান আগবঢ়াইছে কার্বি ৰংবং টেৰং, জয়ন্ত ৰংপি আৰু মিছিং যতীন মিপুন, ইন্দ্রেশ্বৰ পেগু প্রভৃতি লেখকসকলে। আধুনিক অসমীয়া কবিতাত অতি শক্তিশালী কণ্ঠস্বৰ যাগ দিছে চাহ জনজাতিৰ কেইজনমান প্রতিভাশালী কবিয়ে। বাঙালী, নেপালী আৰু হিন্দী-ভাষী জনগোষ্ঠীবোৰৰ পৰাও এনে কেবাজনো প্রতিভাশালী কবি আৰু প্রবন্ধকাৰ ওলাই আহিছে— যিসকলে নিজৰ ভাষাত সাহিত্য চর্চা কৰাৰ উপৰিও অসমীয়া ভাষাকো সাহিত্য-চর্চাৰ মাধ্যম হিচাপে গ্রহণ কৰিছে। এনেদৰে অসমত অসমীয়া ভাষাই সেই স্থান ল'বলৈ আগবাঢ়িছে— যি স্থান গ্রেট ব্রিটেইনত অধিকাৰ কৰিছে ইংৰাজী ভাষাই। বৃহত্তৰ অসমীয়া জাতি মানে আমি কেতিয়াও এই কথা বুজিব নালাগে যে অসমত কাম কৰা সকলো খিলঞ্জীয়া আৰু নৱাগত জনগোষ্ঠীয়ে নিজৰ নিজৰ ভাষা ত্যাগ কৰি সম্পূর্ণভাবে অসমীয়া-ভাষী হৈ যাব লাগিব। ঘৰত নিজৰ ভাষা কৈ অসমীয়া ভাষাত সাহিত্য-চর্চা কৰা আৰু অসমীয়া ভাষা-সাহিত্যৰ প্রতি অনুৰাগ প্রদর্শন কৰা প্রত্যেকজন মানুহকেই আমি অসমীয়া বুলি গ্রহণ কৰিব লাগিব। এজন মিছিং. দেউৰী, তিৱা বা মিঞা মুছলমানে ঘৰত নিজৰ ভাষা কৈয়ো যদি এজন ভাল অসমীয়া হ'ব পাৰে, তেন্তে ঘৰত বাংলা বা হিন্দী বা নেপালী কৈ সামাজিক আৰু সাংস্কৃতিক জীৱনত অসমীয়া ভাষা-সাহিত্যক নিজৰ বুলি গ্রহণ কৰা লোকসকলো নিশ্চয় ভাল অসমীয়া হ'ব পাৰে। আধুনিক যুগত বৃহত্তৰ অসমীয়া জাতি গঢ়াৰ সেইটোৱেই একমাত্র পথ। বড়ো সমাজৰ যিটো বৃহৎ অংশেই সাহিত্য-চর্চাৰ মাধ্যম হিচাপে অসমীয়া ভাষাক পৰিত্যাগ কৰি পুনৰুজ্জীৱিত বড়ো ভাষাত সাহিত্য সৃষ্টি কৰিবলৈ প্রয়াস কৰিছে তেওঁলোকো বৃহত্তৰ অসমীয়া জাতিৰ পৰা ফাটি গৈছে বুলি মই নাভাবোঁ। মই ওপৰত এবাৰ কৈ আহিছোঁ যে আমি আটাইয়েই একোটা ঐতিহাসিক আৰু সাংস্কৃতিক অভিজ্ঞতাৰ সমান অংশীদাৰ। অসমীয়া ভাষা আৰু সংস্কৃতিক বড়ো ভাষা-সংস্কৃতিয়ে ইমান গভীৰভাৱে প্রভাৱিত কৰিছে যে সকলো অসমীয়াই বড়ো ভাষা-সংস্কৃতিক তেওঁলোকৰ নিজৰো মহৎ উত্তৰাধিকাৰ বুলি গ্রহণ

কৰে। বড়ো ভাষাত ৰচিত সাহিত্য আৰু গীত-মাতত অসমীয়াসকলে নিজৰো হৃদস্পন্দন শুনিবলৈ পায়। মই ভাবোঁ যে বড়ো সাহিত্যৰ বাছকৰনীয়া ৰচনা-সম্ভাৰ পৰিকল্পিতভাবে অসমীয়া ভাষালৈ অনুবাদ কৰাৰ দিহা কৰিলে আৰু বড়ো লেখকসকলেও গ্ৰেট ব্ৰিটেইনৰ স্কট, আইৰিছ আৰু ওৱেল্ছ লেখকসকলৰ আৰ্হি অনুসৰণ কৰি অসমীয়া আৰু বড়ো এই দুয়োটা ভাষাতে লিখিবলৈ অভ্যাস কৰিলে বড়ো আৰু অসমীয়া দুয়োটা সাহিত্য বড়ো আৰু অসমীয়াসকলৰ যুগ্ম সাধনাত পৰিণত হ'ব। সেই একে আৰ্হি অনুসৰণ কৰি অসমৰ অন্যান্য সকলো জনগোষ্ঠীৰ লেখকেও নিজৰ মাতৃভাষাৰ সেৱা কৰিও অসমীয়া ভাষাত সাহিত্য-চৰ্চা কৰিব পাৰে আৰু তাকে কৰি এখন বৃহত্তৰ পাঠক সমাজ লাভ কৰিব পাৰে। অতি সুখৰ কথা যে ইতিমধ্যে সেই প্ৰক্ৰিয়া আৰম্ভ হোৱা পৰিলক্ষিত হৈছে। যোৱা দুটা দশকত অসমীয়া সাহিত্যত প্ৰতিভাৰ দ্যুতিৰে উজ্জ্বল যিবোৰ নতুন মুখ দেখা গৈছে সেইবোৰৰ ভিতৰত থলুৱা জনজাতি, নেপালী আৰু বাঙালী সম্প্ৰদায়ৰ লেখকৰ কেইখনমান মুখ বিশেষভাবে চকুত পৰা যিধৰ হৈছে। কোনো কোনো হিন্দী-ভাষী লেখকেও অসমীয়াত লিখিবলৈ আৰম্ভ কৰিছে। এইখন তালিকাত চাহ জনজাতি আৰু মিঞা মুছলমানৰ কথা উল্লেখ কৰাৰ প্ৰয়োজন নাই, কাৰণ তেওঁলোক সম্পূৰ্ণভাবে অসমীয়া হৈ কেৱল অসমীয়া ভাষাকেই সাহিত্য-চৰ্চাৰ মাধ্যম হিচাপে বাছি লৈছে।

এইদৰে দেখা গৈছে যে বৃহত্তৰ অসমীয়া জাতি গঢ়াত অসমীয়া ভাষা আৰু সাহিত্যই এক মহত্ত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কিন্তু অসমীয়া ভাষা আৰু সাহিত্যই অসমৰ অন্যান্য জনগোষ্ঠীবোৰৰ আনুগত্য আৰু শ্ৰদ্ধা তেতিয়াহে বেছিকৈ লাভ কৰিব— যেতিয়া এই ভাষা আধুনিক শিক্ষিত মানুহৰ সকলো ধৰণৰ বৌদ্ধিক চাহিদা পূৰণ কৰিব পৰাকৈ বিকশিত আৰু সমৃদ্ধিশালী হ'ব। কিন্তু এই কথা অস্বীকাৰ কৰাৰ কোনো উপায়নাই যে বিশ্বকোষ, অভিধান, ব্যাকৰণ, সাহিত্যৰ ইতিহাস, সমাজ আৰু সংস্কৃতিৰ ইতিহাস আৰু জ্ঞান-বিজ্ঞানৰ বিভিন্ন শাখাৰ যিবোৰ উচ্চ মানৰ কিতাপে এটা ভাষাক আধুনিক উন্নত ভাষা বুলি দাবী কৰাৰ অধিকাৰ দিয়ে, তেনেবোৰ কিতাপৰ লজ্জাজনক অভাৱে অসমীয়া ভাষাক সেই অধিকাৰৰ পৰা বঞ্চিত কৰিছে। কুবি শতিকাৰ অসমত কেবাখনো বিশ্ববিদ্যালয়, শ শ কলেজ আৰু চৰকাৰী অৰ্থানুকূল্যত এক'ধিক বৌদ্ধিক কেন্দ্ৰ স্থাপিত হ'ল; বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ উপাধি প্ৰাপ্ত লাখ লাখ শিক্ষিত মানুহ আৰু সহস্ৰাধিক ড'ৰেট ডিগ্ৰীধাৰী মানুহ সৃষ্টি হ'ল; অসম সাহিত্য সভাও অশীতিপৰ বৃদ্ধ হ'ল। কিন্তু হায়, মানৱ-সভ্যতাৰ অন্যতম স্বৰ্ণ-যুগ ৰূপে চিহ্নিত হ'বৰ যোগ্য এই বিস্ময়কৰ শতিকাটো আমি অসমীয়া মানুহখিনিয়ে পাৰ কৰি দিলোঁ এখনো বিশ্বকোষ, এখনো পূৰ্ণাঙ্গ ব্যুৎপত্তিমূলক অভিধান, এখনো সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন নকৰাকৈ! অথচ কুবি শতিকাত অন্যান্য ভাৰতীয় ভাষাবোৰত কেনে ধৰণৰ জ্ঞানৰ সাধনা চলিছিল তাৰ সামান্য আভাস পাবলৈ কেৱল মাৰাঠী ভাষাৰ উদাহৰণ লওক। যি স্থলত অসমীয়া ভাষাত এখনো বিশ্বকোষ পাবলৈ নাই, তেনে স্থলত মাৰাঠী ভাষাত কেৱল শৰীৰ-চৰ্চা আৰু খেলা-ধূলাৰ বিষয়ে দহটা খণ্ডৰ এখন বিশ্বকোষ প্ৰকাশিত হৈছে। দৰ্শনৰ বিষয়ে প্ৰকাশিত হৈছে তিনি খণ্ডৰ এখন বিশ্বকোষ। ভাৰতীয় সংস্কৃতি-কোষ প্ৰকাশ হৈছে বাৰটা খণ্ডত। বহু খণ্ড-বিশিষ্ট বিশ্বকোষ প্ৰকাশিত হৈছে প্ৰায় আধা ডজন। তাৰ এখন প্ৰকাশ কৰিছে মহাৰাষ্ট্ৰৰ ৰাজ্য চৰকাৰে। বস্তুতঃ অসমীয়া ভাষাৰ বাহিৰে ভাৰতত দ্বিতীয় এটা ভাষা বোধহয় নাই, যিটো ভাষাত একাধিক বিশ্বকোষ প্ৰকাশিত হোৱা নাই। আৰু আমি অসমীয়াসকলে কি কৰিছোঁ? সত্তৰৰ দশকতে বাৰটা খণ্ডৰ এখন বিশ্বকোষ প্ৰণয়ন কৰাৰ পৰিকল্পনা কৰি মাত্ৰ এটা খণ্ড প্ৰকাশ কৰিয়েই আমি হাত দাঙি দিলোঁ। যিটো খণ্ড প্ৰকাশ কৰিলোঁ তাতোঁ থাকি গ'ল অমাৰ্জনীয় ভুল। এটা শতাব্দী আমি পাৰ কৰি দিলোঁ এখনো পূৰ্ণাঙ্গ অভিধান আৰু এখনো সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন নকৰাকৈ। এই কথাবোৰ যেতিয়া মনলৈ আহে, যেতিয়া পৃথিৱীৰ উন্নত ভাষা-সাহিত্যৰ লগত নিজকে তুলনা কৰোঁ, তেতিয়াও নিজকে ধিক্কাৰ নিদিয়াকৈ থকাটো অসম্ভৱ হৈ পৰে। অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনবোৰৰ নামত হোৱা এই বিৰাট জন-সমাগম, জাকজমক আৰু উলহ-মালহো সমূলি অৰ্থহীন যেন লাগি যায়— যেনেকৈ অৰ্থহীন যেন লাগি যায় সংখ্যাৰ হিচাপত লাখ লাখ উচ্চ-শিক্ষিত মানুহৰ অস্তিত্ব। এজন ব্যক্তিৰ দৰেই এটা অনুষ্ঠানেও কেৱল তেতিয়াহে নিজকে মহৎ বুলি দাবী কৰিব পাৰে— যেতিয়া সেই অনুষ্ঠানৰ লক্ষ্যবোৰ মহৎ হয় আৰু সি কিবা মহৎ কাৰ্য সম্পাদন কৰিব পাৰে। এটা বিশেষ প্ৰসঙ্গত এড্‌মাণ্ড বাৰ্কে কৈছিল- A great empire and little minds go ill together। সেই কথাটোকে সামান্য সলনি কৰি এনেদৰেও ক'ব পাৰি যে ক্ষুদ্ৰ কাৰ্য সম্পাদন কৰি কোনো অনুষ্ঠানে

মহত্ত্ব গৌৰব বা অধিকাৰ দাবী কৰিব নোৱাৰে। যুগমীয়া কীৰ্তি স্থাপন কৰিব পৰা একো এটা অসাধাৰণ মহৎ কাৰ্য সম্পাদন নকৰাকৈ অসম সাহিত্য সভাই এটা শতাব্দী পাৰ কৰি দিলে। নতুন সহস্ৰাব্দৰ প্ৰথমখন বছেৰেকীয়া অধিবেশনত অসম সাহিত্য সভাই আজি এই বুলি দৃঢ় সংকল্প ল'ব লাগিব যে অসমীয়া ৰাইজৰ প্ৰত্যাশা পূৰণ কৰিব পৰাকৈ সাহিত্য সভাই কেইটামান গুৰুত্ব-পূৰ্ণ কাৰ্যসূচী প্ৰস্তুত কৰি যথাসম্ভৱ কম সময়ৰ ভিতৰতে সেইবোৰক বাস্তৱত ৰূপ দিব আৰু তাকে কৰি অসমীয়া জাতিৰ মনত গভীৰ আত্ম-বিশ্বাস জগাই তুলিব।

তেনে এটা কাৰ্যসূচী হ'ব পাৰে বিশ্বকোষ প্ৰণয়ন। আজিৰ দিনত বিশ্বকোষ কেৱল গৰ্বৰ বা বিলাসৰ বস্তু নহয়। যিসকল লোক উচ্চ শিক্ষালাভৰ সুযোগৰ পৰা বঞ্চিত হয় আৰু যিসকল উচ্চ-শিক্ষাপ্ৰাপ্ত লোকে গোটেই জীৱন ধৰি অধ্যয়ন কৰি নিজৰ জ্ঞানৰ পৰিধি বঢ়াই থাকিব খোজে, তেওঁলোকৰ কাৰণে মাতৃভাষাত ৰচিত বিশ্বকোষ এখন অপৰিহাৰ্য সহায়ক-গ্ৰন্থ। তদুপৰি বিশ্বকোষৰ প্ৰণয়ন এটা সমগ্ৰ জাতিৰ কাৰণে বৌদ্ধিক প্ৰত্যাহ্বান বুলিও বিবেচিত হ'ব পাৰে। বঙ্গীয় সাহিত্য পৰিষদে কেইবাবছৰৰ আগতেই প্ৰকাশ কৰি উলিওৱা 'ভাৰত-কোষ' নামৰ বিশ্বকোষ-জাতীয় গ্ৰন্থৰ পাতনিত কোৱা হৈছে- 'বিশ্বকোষ গ্ৰন্থৰ ইতিহাস পৰ্যালোচনা কৰিলে এই কথা স্পষ্ট হৈ উঠে যে ইয়াৰ সংকলন-কাৰ্য আচলতে এটা মহৎ আন্দোলনৰ সমতুল্য। ইয়াৰ উদ্ভৱ হয় এটা সমগ্ৰ জাতিৰ সাংস্কৃতিক আৰু সামাজিক আন্দোলনৰ তৰঙ্গ-বেগত। আনহাতে জাতিৰ পুনৰুজ্জীবনৰ সাধনাত বিশ্বকোষে বহুবাৰ গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰিছে।... বিশ্বকোষে যে কি প্ৰবল সাংস্কৃতিক আৰু সামাজিক আন্দোলন সৃষ্টি কৰিব পাৰে তাৰ প্ৰকৃষ্ট দৃষ্টান্ত হ'ল ফৰাচী আঁসিক্‌লোপেদি।' আমি অসমীয়াসকলে কিন্তু বিশ্বকোষ প্ৰণয়ন কৰাৰ প্ৰথম খোজটো পেলাইয়ে থমকি ৰৈ এই কথা প্ৰমাণ কৰিলোঁ যে এটা জাতিয়ে বৌদ্ধিক বিকাশ আৰু চৰিত্ৰ-শক্তিৰ যিটো স্তৰত গৈ উপনিত হ'ব পাৰিলে বিশ্বকোষ প্ৰণয়ন কৰিব পৰাৰ যোগ্যতা অৰ্জন কৰে, অসমীয়াসকল এতিয়াও সেইটো স্তৰত উপনীত হ'ব পৰা নাই। স্কুল-কলেজৰ বাছনি পৰীক্ষাত কিছুমান ছাত্ৰই ফেইল কৰে; আন কিছুমানে যোগ্যতা অনুসাৰে প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিভাগ পায়। সভ্যতাৰ বাছনি পৰীক্ষাতো কিছুমান জাতিয়ে ফেইল কৰি বৌদ্ধিকভাৱে জীৱন্মৃত অৱস্থাত কোনোমতে নিজৰ অস্তিত্ব টিকাই ৰাখে; আন কিছুমান জাতিয়ে নিজৰ সাধনা আৰু প্ৰতিভা অনুযায়ী প্ৰথম, দ্বিতীয় বা তৃতীয় বিভাগ পায়। সভ্যতাৰ এই বাছনি পৰীক্ষাত অসমীয়া জাতিক ঠিক ফেইল কৰা বুলি হয়তো ক'ব নোৱাৰি; কিন্তু তেওঁলোকে মাত্ৰ তৃতীয় বিভাগহে যে পাইছে সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। আৰু এই কথা কোনেনো নাজানে যে তৃতীয় বিভাগ পোৱা আৰু ফেইল কৰাৰ মাজত বিশেষ একো পাৰ্থক্য নাই।

অসমীয়াসকলৰ এই বৌদ্ধিক অনগ্ৰসৰতাৰ কাৰণ কি সেই কথা আমি বিচাৰ কৰি চোৱাৰ সময় হ'ল। নহ'লে একৈশ শতিকাত যেতিয়া পৃথিবীৰ বেছিভাগ জাতিয়েই সভ্যতাৰ সোপানত বহু ওপৰলৈ উঠি যাব, আমি অসমীয়াসকলে তেতিয়াও তৃতীয় বিভাগ পায়েই সন্তুষ্ট থাকিব লাগিব। আমি এই কথা সকলোৰেই জানো যে বহুত ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত তৃতীয় বিভাগ পোৱাৰ প্ৰধান কাৰণ প্ৰতিভাৰ অভাৱ নহয়; প্ৰধান কাৰণ তেওঁলোকৰ সাধনা আৰু শ্ৰম-সহিষ্ণুতাৰ অভাৱ। অসমীয়াসকলৰ ক্ষেত্ৰতো ঠিক সেইটোৱেই হৈছে। পৃথিবীৰ কোনো উন্নত সভ্য জাতিৰ মানুহতকৈ অসমীয়াসকলৰ প্ৰতিভা কম নহয়। সেই কথা বহুবাৰ প্ৰমাণিত হৈছে। কিন্তু অসমীয়াসকলৰ চৰিত্ৰত যিটো গুণৰ অভাৱ ঘটিছে সেইটো হৈছে উদ্যম আৰু অধ্যৱসায়ৰ অভাৱ। দাৰ্শনিক এমাৰ্ছনে কোৱা enthusiasm— ৰ অভাৱ। এজন মাৰাঠী পণ্ডিতে নিজৰ জাতিটোৰ বিষয়ে লিখিছে, 'মাৰাঠীসকলৰ মানসিকতাত এনে এটা বস্তু আছে যিটো বস্তুৱে তেওঁলোকক সমগ্ৰ জীৱন একনিষ্ঠ হৈ কোনো এটা কাৰ্যসূচী ৰূপায়িত কৰিবলৈ আৰু তাক বিশ্বক উপহাৰ দিবলৈ অনুপ্ৰাণিত কৰে।' আমি অসমীয়াসকলে কেতিয়াও নিজৰ বিষয়ে এনে এটা কথা ক'ব নোৱাৰোঁ — যি কাৰণে আমি সভ্য-জাতিসুলভ মহৎ কৰ্মবোৰ কৰিব নোৱাৰি হীনমন্যতাৰ নিচিনা মানসিক ব্যাধিৰ চিকাৰ হওঁ। কিন্তু আমি যদি সভ্যতাৰ বাছনি পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হ'বলৈ ইচ্ছা কৰোঁ, তেন্তে আমাৰ প্ৰথম কৰ্তব্য হ'ব চৰিত্ৰ-শক্তিৰ অধিকাৰী হ'বলৈ চেষ্টা কৰা। জাৰ্মান জাতিক নৱজাগৰণৰ মন্ত্ৰেৰে দীক্ষিত কৰা যোহান গটলিয়েব ফিখ্‌টে নামৰ দাৰ্শনিকজনে ১৮০৭ খ্ৰীষ্টাব্দত জাৰ্মান জাতিক উদ্দেশ্য কৰি যিটো ইতিহাস-বক্তৃতা লিখিছিল সেই বক্তৃতাত তেওঁ কৈছিল যে To have character and to be German undoubtedly mean one and the same (ইংৰাজীলৈ

অনুবাদ কৰা বাক্যটো বার্ট্রাণ্ড্ বাছেলৰ) অর্থাৎ জার্মান মাত্রেই চৰিত্রবান হ'বই লাগিব; চৰিত্রহীন মানুহ জার্মান হ'ব নোৱাৰে। আমি অসমীয়াসকলেও আজি জার্মান দার্শনিকজনৰ মহাবাণীৰ তাৎপর্য হৃদয়ঙ্গম কৰাৰ সময় উপস্থিত হৈছে। চৰিত্র-শক্তি আয়ত্ত কৰাৰ এটা প্রধান উপায় হ'ল যিকোনো এটা মহৎ কর্মত আত্মনিয়োগ কৰা আৰু সেই কর্মটো সম্পাদন কৰি শেষ নোহোৱালৈকে অসীম ধৈর্যৰে তাত লাগি থকা। মহৎ কর্মই আপোনা-আপুনি ব্যক্তি আৰু জাতি উভয়কে মহৎ কৰে।

ভল্‌তেয়ৰৰ যেতিয়া ৮৩ বছৰ হ'ল, তেতিয়া তেওঁৰ ৰোগ-জীর্ণ অৱস্থাতে তেওঁৰ লক্ষ লক্ষ গুণ গ্রাহীয়ে তেওঁক ধোৱাৰ গাড়ীত তুলি ফৰাচী অকাডেমিৰ কার্যালয়লৈ লৈ গ'ল। তাত তেওঁক ৰাজহুৱা সম্বর্ধনা জনোৱা হ'ল। পেৰিছত বিদ্বান সমাজৰ উচ্ছ্বাসিত সম্বর্ধনাৰ উত্তৰত ৮৩ বছৰীয়া মৃত্যু-পথ-যাত্রী ভলতেয়ৰে প্রস্তাব দিলে যে ফৰাচী অভিধানখনৰ সংশোধনীৰ কাম ততালিকে হাতত ল'ব লাগে আৰু তেওঁ নিজে A আখৰটোৰে আৰম্ভ হোৱা সকলো শব্দৰ সংশোধনৰ কাম কৰিবলৈ প্রস্তুত।

ইয়াকেই কয় চৰিত্র-শক্তি। ইয়াকেই কয় মানুষ্যত্বৰ সাধনা। মৃত্যুৰ দুৱাৰ-দলিত থিয় হোৱা ৮৩ বছৰীয়া কণ্ম ভল্‌তেয়ৰে ৰাজহুৱা সম্বর্ধনাৰ উত্তৰ মামুলি আবেগ প্রকাশ কৰিয়ে নিজৰ কর্তব্য শেষ কৰিব পাৰিলেহেঁতেন। কিন্তু ভল্‌তেয়ৰে কি কৰিলে? তেওঁ ঘোষণা কৰিলে ফৰাচী অভিধানখন সংশোধন কৰাৰ সংকল্প। পৃথিৱীৰ বহু জাতিয়ে সভ্যতাৰ বাছনি পৰীক্ষাত প্রথম বিভাগ পাইছে বা শীর্ষস্থান অধিকাৰ কৰিছে এনে ধৰণৰ পৌৰুষ আৰু চৰিত্র-শক্তিৰ জোৰত।

অসম সাহিত্য সভা অসমীয়াসকলৰ সর্ব-বৃহৎ আৰু প্রাণাধিক প্রিয় অনুষ্ঠান। আজিৰ এই অধিবেশন হ'ল অসম সাহিত্য সভাৰ নতুন শতিকা আৰু নতুন সহস্রাব্দৰ প্রথমখন অধিবেশন। আহক, নতুন সহস্রাব্দৰ এই প্রথম অধিবেশনতে আমি সকলোৱে এই বুলি সংকল্প গ্রহণ কৰোঁহক যে যথাসম্ভৱ কম সময়ৰ ভিতৰতে বিশ্বকোষ আৰু পূর্ণাঙ্গ অভিধান প্রণয়নৰ নিচিনা কেইটামান বৃহৎ প্রকল্প সম্পাদন কৰি আমি আমাৰ চৰিত্র-শক্তি আৰু প্রতিভাৰ প্রমাণ দিম। এইবোৰ কাম অকল অসম সাহিত্য সভাৰ বিষয় ৰবীয়াসকলে বা কেইজনমান পণ্ডিতে কৰিব পৰা কাম নহয়। ওপৰত এবাৰ কোৱা হৈছে যে বিশ্বকোষ। আৰু অভিধানৰ নিচিনা বৃহৎ প্রকল্পৰ উদ্ভৱ হয় 'সাংস্কৃতিক আৰু সামাজিক আন্দোলনৰ তৰঙ্গ শীর্ষত।' অসম সাহিত্য সভাই বহুতো খুচুৰা কামত শক্তি, সময় আৰু অর্থ খৰচ নকৰি এইবাৰ এনে কেইটামান বৃহৎ প্রকল্প হাতত ল'ব - যিকেইটা প্রকল্প সম্পাদন কৰাৰ কামত নিয়োজিত হ'ব সমগ্র জাতিটোৰ গৌথ সাধনা আৰু যিকেইটা প্রকল্প নির্দিষ্ট সময়ত সম্পাদন কৰি উলিয়াব পাৰিলে জাতিটোৱে ঘুৰাই পাব আত্মবিশ্বাস আৰু আত্ম-মর্যাদা। যিটো কথা বাৰে বাৰে দোহাৰি থাকিও মই অকণো ক্লান্তি অনুভৱ নকৰোঁ সেইটো হ'ল এই যে একমাত্র কঠোৰ সাধনা সাপেক্ষ মহৎ কামত নিষ্ঠাৰে আৰু ধৈর্য সহকাৰে লাগি থাকিব পাৰিলেহে এজন ব্যক্তিয়ে বা এটা জাতিয়ে নিজেও মহত্ত্ব অর্জন কৰিব পাৰে। অর্থাৎ একমাত্র কর্মইহে এজন ব্যক্তিক বা এটা জাতিক মহৎ কৰিব পাৰে। সৃষ্টিশীল সাহিত্যৰ ক্ষেত্রত অসমীয়া ভাষাৰ ফচল একেবাৰে দলিয়াই পেলাব পৰা বিধৰ নহয়। অসমীয়া সাহিত্য এতিয়াও হয়তো পৃথিৱীৰ শ্রেষ্ঠ সাহিত্যৰ সমকক্ষ হৈ উঠিব পৰা নাই, কিন্তু কুৰি শতিকাত অসমীয়াসকলে এনে এক উন্নত সাহিত্য সৃষ্টি কৰিছে— যাৰ যোগেদি তেওঁলোকে বিশ্ব-মানৱৰ হৃৎস্পন্দনৰ লগত একাত্মতা অনুভৱ কৰিব পৰা হৈছে। আন কথাত ক'বলৈ গ'লে ঘাইকৈ সাহিত্যৰ যোগেদি অসমীয়া জাতি কুৰি শতিকাত বিশ্বৰ সভ্যতা-সংস্কৃতিৰ মূল সুঁতিৰ লগত একাকাৰ হৈ পৰিছে। কিন্তু বহু বছৰ ধৰি অসমীয়াসকলে এনে কোনো মহৎ কামত হাত দিয়া নাই — যিটো কাম হ'ব পাৰে তেওঁলোকৰ কঠোৰ জ্ঞান-সাধনাৰ দ্যোতক; যিটো কামৰ মাজেদি অভিব্যক্ত হ'ব পাৰে সমগ্র জাতিটোৰ বৌদ্ধিক প্রাণ-প্রাচুর্য আৰু উচ্চ আদর্শবাদ। সেই কাৰণেই মই যোৱা বহু বছৰ ধৰি বিশ্বকোষ আৰু পূর্ণাঙ্গ বৃহৎ অভিধান প্রণয়নৰ কামত বিশেষ গুৰুত্ব দি আহিছোঁ। আন একো নহ'লেও আমাৰ নিজৰ যোগ্যতা আৰু চৰিত্র-শক্তি পৰীক্ষা কৰি চাবলৈকে আমি এনেকুৱা কেইটামান ডাঙৰ কামত হাত দিব লগা হৈছে। মই আশা কৰোঁ যে অসম সাহিত্য সভাই এই বছৰতে বিশ্বকোষ প্রণয়নৰ কাম আৰম্ভ কৰি সাহিত্য সভাৰ শতবার্ষিকী উৎসৱৰ আগতেই কামটো সম্পূর্ণ কৰিব। এই বিৰাট প্রকল্পটো যাতে সমগ্র জাতিটোৰ জাতীয় প্রয়াসত পৰিণত হ'ব পাৰে সেই উদ্দেশ্যে অসম সাহিত্য সভাই এই কামত অসমৰ আটাইকেইখন বিশ্ববিদ্যালয়, অসম প্রকাশন পৰিষদ, অসম বিজ্ঞান সমিতি, অসম ভাষাতত্ত্ব সমিতি, আনন্দৰাম বৰুৱা ভাষা-সাহিত্য সংস্কৃতি কেন্দ্র প্রভৃতি অনুষ্ঠানবোৰকো জড়িত কৰাটো উচিত বিহেতু আমাৰ সমল সীমিত, কাম কৰা মানুহৰ সংখ্যাও বেছি নহয়, সেই

কাৰণে এই আটাইকেইটা অনুষ্ঠানৰ ধন-বল আৰু জন-বলক একত্রিত কৰিব পাৰিলে কামটো কৰিবলৈ বেছি সহজ হ'ব। অসম সাহিত্য সভাৰ প্ৰধান কাম হ'ব কামটোৰ সূচনা কৰা আৰু ওপৰত উল্লেখ কৰা অনুষ্ঠানকেইটাৰ কাম-কাজৰ মাজত সমন্বয় ৰক্ষা কৰা। এনে এটা কঠোৰ শ্ৰম-সাপেক্ষ বৃহৎ প্ৰকল্প সম্পাদন কৰিবলৈ আমি নিজকে মানসিকভাৱে প্ৰস্তুত নকৰিলে আৰু প্ৰকল্পটোক জাতিটোৰ সম্মুখত এটা প্ৰত্যাহ্বান হিচাপে গ্ৰহণ নকৰিলে আমি নিজকে এটা প্ৰকৃত সভ্য জাতি বুলি দাবী কৰাৰ অধিকাৰ হেৰুৱাম।

আমাৰ বহুতৰে হৃদয়ত আৰু এটা ডাঙৰ স্বপ্ন আছে। সেই স্বপ্নটোকো আমি এইবাৰ দিঠকত পৰিণত কৰিবলৈ চেষ্টা কৰিম। স্বপ্নটো হ'ল অসম সাহিত্য সভাৰ উদ্যোগত এনে এটা বৃহৎ পুথিভঁৰাল স্থাপন কৰা— যিটো পুথিভঁৰালত যোৱা সাত শ বছৰত অসমীয়া ভাষাত ৰচিত আৰু বৰ্তমান যুগত অসমীয়া সভ্যতা-সংস্কৃতিৰ বিষয়ে পৃথিৱীৰ যিকোনো ভাষাত লিখিত সকলোবোৰ কিতাপ সংগৃহীত হ'ব। পুথিভঁৰালটোৰ গৰিমা আৰু সৌন্দৰ্য বৰ্ধন কৰিব অতীতৰ আৰু বৰ্তমানৰ শ্ৰেষ্ঠ অসমীয়া শিল্পীসকলৰ চিত্ৰকলা আৰু ভাস্কৰ্যৰ নিদৰ্শনে। অসমীয়াসকলে মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰত যুগ যুগ ধৰি মনুষ্যত্বৰ সাধনা কৰি আহিছে, সেই সাধনাৰ অক্ষয়-অব্যয় প্ৰতীক হ'ব এই পুথিভঁৰালটো। আমি মাত্ৰ কামটো আৰম্ভ কৰিম; তাৰ পিছত যুগৰ পিছত যুগ ধৰি কলা কলাকৈ বাঢ়ি থাকব পুথিভঁৰালটোৰ কলেবৰ। পুথিভঁৰালটো ক্ৰমান্বয়ে ডাঙৰ হৈ গৈ থাকিব; তাৰ লগে লগে ডাঙৰ হৈ গৈ থাকিব অসমীয়া জাতি।

অসম সাহিত্য সভাই কৰিব লগা আৰু কৰিব খোজা যি কেইটা কামৰ কথা মই ইয়াত উল্লেখ কৰিলো সেইকেইটা কাম সমূলি কঠিন বা দুঃসাধ্য নহয়। পৃথিৱীৰ বহুতো উন্নত সভ্য জাতিয়ে ইয়াতকৈ হাজাৰ গুণে কঠিন কাম কৰি নিজৰ যোগ্যতা প্ৰমাণ কৰিছে। মই ওপৰত কৈ অহা এষাৰ কথা দোহাৰি আকৌ ক'ব খোজোঁ যে সভ্যতাৰ বাছনি পৰীক্ষাত আমি অসমীয়াসকলে দীৰ্ঘকাল ধৰি তৃতীয় বিভাগ পায়েই সন্তুষ্ট হৈ আছোঁ। আমাৰ সমস্ত গ্লানি, অবসাদ আৰু হীনমন্যতা দূৰ কৰাৰ একমাত্ৰ উপায় হ'ল কেইটামান কঠিন আৰু মহৎ কৰ্ম সফলতাৰে সম্পাদন কৰি প্ৰথম বিভাগ পোৱাৰ যোগ্যতা অৰ্জন কৰা। অসম সাহিত্য সভাৰ আজিৰ অধিৱেশনেই নতুন শতিকা আৰু নতুন সহস্ৰাব্দৰ প্ৰথমখন অধিৱেশন। আহক, আজিৰ এই অধিৱেশনতে সমগ্ৰ অসমীয়া জাতিৰ হৈ— নব গঠিত বৃহত্তৰ অসমীয়া জাতিৰ হৈ— আমি এই বুলি সংকল্প গ্ৰহণ কৰোহঁক যে অহা দুবছৰৰ ভিতৰতে আমি কেইটামান বৃহৎ প্ৰকল্প কাৰ্যকৰী কৰিবলৈ আৰম্ভ কৰি অসম সাহিত্য সভাৰ শতবৰ্ষ-পূৰ্তিৰ সময়তে সেই কাম সম্পূৰ্ণ কৰিম। আমি অসমীয়াসকলে এই কথা স্মৰণ কৰি লজ্জা অনুভৱ কৰা উচিত যে প্ৰধান ভাৰতীয় ভাষাবোৰৰ ভিতৰত একমাত্ৰ অসমীয়া ভাষাতেই বিশ্বকোষ নাই। গতিকে বিশ্বকোষ প্ৰণয়নৰ প্ৰস্তাৱটোক আমি আমাৰ জাতীয় মৰ্যাদাৰ প্ৰশ্ন হিচাপে বিবেচনা কৰা উচিত। প্ৰাদেশিক ভাষাবোৰত বিশ্বকোষ প্ৰণয়নৰ প্ৰস্তাৱক দেশৰ তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ-সাহায্যৰ সুযোগ লৈ অন্যান্য ৰাজ্য চৰকাৰবোৰে নিজৰ নিজৰ ৰাজ্যৰ ভাষাত বিশ্বকোষ প্ৰণয়ন আৰু প্ৰকাশ কৰি উলিয়ালে। কিন্তু অসমৰ ৰাজ্য চৰকাৰে বা অসম সাহিত্য সভাই যথা সময়ত সেইবোৰ কথাৰ খবৰ লোৱাৰ কোনো প্ৰয়োজনেই অনুভৱ নকৰিলে। আমি অসমীয়াসকল কিয় সকলো ক্ষেত্ৰতে পিছ পৰি আছোঁ সেই কথা বুজিবলৈ এই এটা মাত্ৰ তথ্যই যথেষ্ট। সি যি কি নহওক, এতিয়া দেৰিকৈ হ'লেও আমি বিশ্বকোষ প্ৰণয়নৰ কাম আৰম্ভ কৰি তাৰ প্ৰকাশৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ-সাহায্য পাবলৈ চেষ্টা কৰিব লাগিব।

মই বিশ্বকোষৰ কথা বাৰে বাৰে উল্লেখ কৰাৰ অৰ্থ এইটো নহয় যে বিশ্বকোষ প্ৰণয়নৰ কামটোকেই মই অসম সাহিত্য সভাৰ সৰ্ব-প্ৰধান কৰ্তব্য হিচাপে চিহ্নিত কৰিব খুজিছোঁ। মই আচলতে বিশ্বকোষক অসমীয়া জাতি আৰু অসম সাহিত্য সভাৰ সম্মুখত এটা অৰ্থবহ প্ৰতীক হিচাপে দাঙি ধৰিব খুজিছোঁ। ই হ'ল কঠোৰ শ্ৰম আৰু সাধনা-সাপেক্ষ মহৎ কৰ্মৰ প্ৰতীক। আমি যদি জাতি হিচাপে ডাঙৰ হ'ব খোজোঁ তেন্তে আমি ডাঙৰ কামত হাত দিব লাগিব। আমি এই কথা প্ৰমাণ কৰি দেখুৱাব লাগিব যে পৃথিৱীৰ যিকোনো উন্নত সভ্য জাতিৰ দৰে আমি অসমীয়াসকলেও মানৱ-প্ৰতিভাৰ অবিনাশী স্বাক্ষৰ থকা বিৰাট আৰু মহৎ কৰ্ম সম্পাদন কৰিব পাৰোঁ। ক্ষুদ্ৰ আশা, ক্ষুদ্ৰ স্বপ্ন, ক্ষুদ্ৰ কৰ্ম আৰু ক্ষুদ্ৰ লক্ষ্যই কোনো জাতিক মহত্ত্ব দান কৰিব নোৱাৰে। মহত্ত্ব অৰ্জন কৰাৰ একমাত্ৰ উপায় হ'ল মহৎ স্বপ্ন দেখা; মহৎ লক্ষ্য ধাৰ্য কৰি মহৎ কৰ্ম সম্পাদনত সকলো সময়তে ব্ৰতী হৈ

থকা। অসম সাহিত্য সভাই নিজৰ সম্মুখত দুটা মহৎ লক্ষ্য ধাৰ্য কৰি ল'ব লাগিব। এটা হ'ল সাহিত্যৰ ঐক্য-সাধিকা শক্তিৰ সহায়েৰে অসমত স্থায়ীভাৱে বাস কৰা আৰু অসমক আপোন বুলি গ্ৰহণ কৰা সকলো জনগোষ্ঠীক সামৰি এটা বৃহত্তৰ অসমীয়া জাতি গঠন কৰা। যোৱা এহাজাৰ বছৰ ধৰি অসমীয়া জাতি-গঠনৰ যি প্ৰক্ৰিয়া অবিৰামভাৱে চলি আহিছে সেই প্ৰক্ৰিয়াৰেই অৱধাৰিত পৰিণতি হ'ব এনে এটা বৃহত্তৰ অসমীয়া জাতি। অসম সাহিত্য সভাৰ দ্বিতীয়টো মহৎ লক্ষ্য হ'ব সাগৰ অহা কেইবছৰমানৰ ভিতৰতে বিশ্বকোষ, অভিধান আৰু বুৰঞ্জীৰ দৰে কেইখনমান কঠোৰ শ্ৰম-সাপেক্ষ মহৎ গ্ৰন্থ প্ৰণয়নৰ কাম সম্পূৰ্ণ কৰা। এই কামৰ কাৰণে মই অসম সাহিত্য সভাৰ শতবাৰ্ষিকীৰ বছৰটোক সময়-সীমা হিচাপে বান্ধি দিব খুজিছোঁ। ১৯১৭ খ্ৰীষ্টাব্দত স্থাপিত হোৱা অসম সাহিত্য সভাৰ শতবৰ্ষ পূৰ হ'বলৈ আৰু বেছি দিন নাই। শতবৰ্ষ পূৰ হোৱা উপলক্ষে অসম সাহিত্য সভাৰ যি বিশেষ অধিবেশন অনুষ্ঠিত হ'ব সেই অধিবেশনতে আমি প্ৰস্তাৱিত বিশ্বকোষ আৰু অভিধানৰ সৰ্বশেষ দুটা খণ্ড অসমৰ মানুহৰ হাতত তুলি দিব পাৰিব লাগিব। একমাত্ৰ সেইটোৱেই হ'ব অসম সাহিত্য সভাৰ শতবাৰ্ষিকী উদ্‌যাপনৰ সৰ্বোত্তম উপায়। সেই অৰ্থত আজিৰ এই অধিবেশনতে সভাৰ শতবাৰ্ষিকী উদ্‌যাপনৰ প্ৰস্তুতি-পৰ্ব আৰম্ভ হোৱা বুলি মই ঘোষণা কৰিব খোজোঁ। অৱশ্যে ইয়াৰ আগতেও আমি এনেকুৱা ডাঙৰ কাম কৰাৰ সংকল্প গ্ৰহণ কৰিছোঁ। কিন্তু সংকল্প অনুযায়ী আমি কাম কৰিব পৰা নাই। বাৰম্বাৰ ব্যৰ্থতাৰ গ্লানিয়ে আমাৰ আত্ম-বিশ্বাস নোহোৱা কৰিছে; হীনম-ন্যতাই আমাক গ্ৰাস কৰি ধৰিছে। আহক, আমি সকলোৱে আজি এই বুলি সংকল্প গ্ৰহণ কৰোঁহক যে হাঁহে গাৰ পানী জোকাৰি দলিয়াই সঁয়াৰ দৰে আমিও আমাৰ পুঞ্জীভূত অৱসাদ আৰু হীনমন্যতা জোকাৰি দলিয়াই দি কেইটামান ডাঙৰ কামত হাত দিওঁ আৰু তাকে কৰি আমাৰ জাতিৰ বুৰঞ্জীৰ এটা নতুন অধ্যায়ৰ সূচনা কৰোঁ। পৃথিবীখন বহুত আগবাঢ়ি গ'ল; আমি এতিয়াও বহুত পিছ পৰি আছোঁ। গৌৰৱৰ যদি তুলনাৰ পৰা ওপজে তেন্তে বিশ্বসভাত সম্মানৰ আসন দাবী কৰিব পৰাকৈ আমি এতিয়াও প্ৰকৃত গৌৰৱৰ অধিকাৰী হ'ব পৰা নাই।

-- ✦ --

সপ্তষষ্টিতম অধিৱেশন

লক্ষিমপুৰ ঃ ১০ ফেব্রুৱাৰী ২০০৩ চন

ড° বীৰেন্দ্র নাথ দত্ত

আজিৰ সভাৰ উদ্বোধক শ্রদ্ধেয় চন্দ্রশেখৰ ৰথ ডাঙৰীয়া আৰু মুখ্য অতিথি শ্রদ্ধেয় চন্দ্রধৰ ত্রিপাঠী ডাঙৰীয়া, অসম সাহিত্য সভাৰ মাননীয় উপ-সভাপতি আৰু কার্যনির্বাহকৰ অন্যান্য সদস্য সকল, অসম সাহিত্য সভাৰ শ্রদ্ধাভাজন প্রাক্তন সভাপতি আৰু অন্যান্য বিষয়ৱৰীয়া সকল, বিভিন্ন প্রান্তৰ পৰা উপস্থিত হোৱা প্রতিনিধিৱর্গ, আদৰণী সমিতিৰ মাননীয় বিষয়ৱৰীয়া আৰু কর্মকর্তাসকলকে ধৰি সমূহ লখিমপুৰীয়া ৰাইজ আৰু সভাথলিত সমৱেত হোৱা সাহিত্যনুৰাগী আৰু অসম সাহিত্য সভাৰ শুভাকাঙ্খী সুধীসকল—

অসম সাহিত্য সভাৰ সপ্তষষ্ঠিতম লখিমপুৰ অধিৱেশনৰ পদ্মনাথ-পানীন্দ্র ক্ষেত্রৰ এই মহা মিলনভূমিত সমৱেত আপোনালোক সকলোটিলৈকে মোৰ সশ্রদ্ধ প্রণিপাত জনাইছোঁ। অসমৰ ৰাইজৰ সবাতোকৈ আদৰৰ আৰু অগ্রহৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ সভাপতি পদৰ বাবে মোৰ নাম বিবেচিত হোৱাটোৱেই আছিল মোৰ বাবে সম্পূর্ণ অপ্রত্যাশিত আৰু অভাৱনীয়। এনে এটি বিৰল সন্মানৰ পদৰ বাবে মোক মনোনীত কৰাত মই বিস্মিত, বিমূঢ় আৰু লগতে অভিভূত হৈছোঁ। যিখন আসন লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, অম্বিকাগিৰী ৰায়চৌধুৰী, মহেশ্বৰ নেওগ আৰু নৱকান্ত ৰুৱৰাৰ দৰে উজ্জ্বল ৰত্নই অলঙ্কৃত কৰি গৈছে, সেইখন আসনৰ বাবে মোৰ দৰে এজন সামান্য শিক্ষক কিদৰে যোগ্য বিবেচিত হ'ব পাৰোঁ— সেই প্রশ্ন মই নিজকে বাৰে বাৰে কৰিছোঁ, আৰু এতিয়াও কৰি আছোঁ। মই মর্মে মর্মে উপলব্ধি কৰিছোঁ সেইসকল বৰেণ্য পূর্বসূৰীৰ তুলনাত মই কিমান ক্ষুদ্র, কিমান নগণ্য। সেয়েহে এই জনসমুদ্রৰ সম্মুখত মই থিয় হৈছোঁ নত শিৰে, বিনীত আৰু বিনম্রভাৱে— আৰু বিচাৰিছোঁ সকলোৰে আশীর্বাদ। আপোনালোকৰ সদিচ্ছা আৰু শুভ-কামনা মোৰ পাথেয় হওক, আপোনালোকৰ সমর্থন আৰু সহযোগিতাই এই গুৰুভাৰ বহন কৰিবলৈ মোক শক্তি সামর্থ্য আৰু মনোবল প্রদান কৰক।

যিখন লখিমপুৰৰ মাটিত আমি এই বিৰাট জন-সমাবেশত মিলিত হৈছো সেই লখিমপুৰৰ প্রতি মই কেবাটাও কাৰণত বিশেষ ভাবে আকর্ষণ অনুভব কৰিছোঁ। এই কাৰণবোৰৰ এটা মোৰ নিতান্ত ব্যক্তিগত যদিও মোৰ বাবে সি অত্যন্ত গুৰুত্বপূর্ণ আজিৰ পৰা প্রায় আশী বছৰ পূর্বে এই লখিমপুৰৰেই চৰকাৰী হাইস্কুলত মোৰ আজীবন শিক্ষাব্রতী পিতৃদেৱে নিজৰ শিক্ষকতা জীৱনৰ পাতনি মেলিছিল। অলপ বুজা হোৱাৰ পৰা পিতৃদেৱৰ মুখত সেই দিনত শিক্ষকৰ চাকৰি কৰিবলৈ ইয়ালৈ অহাৰ সাধুকথাসুলভ বৃত্তান্তই মোৰ মনত এনে এক সাঁচ বহুৱাই গৈছিল সি মোৰ স্মৃতিৰ পটৰ পৰা আজিও মোচ খোৱা নাই। শৈশৱ কালৰে পৰা পিতৃদেৱৰ শিক্ষকতা বৃত্তিৰ আদর্শই মোৰ অৱচেতন মনত নিশ্চয় ক্রিয়া কৰি আছিল আৰু তাৰ প্রকাশ ঘটিছিল মোৰ নিজৰ শিক্ষকতা-বৃত্তি গ্রহণত। তেত্রিশ্বাৰ দিনত এই চহৰখনত উত্তৰ লক্ষীমপুৰ নামে�ৰেহে জনাজাত আছিল। মোৰ স্বর্গীয় পিতৃদেৱৰ প্রথম কর্ম-ভূমি তাহানিৰ উত্তৰ লক্ষীমপুৰ আৰু আজিৰ লখিমপুৰ মোৰ বাবে তীর্থভূমিও। সেই তীর্থভূমিত ৰাইজৰ আশিষ-নির্মালি ল'ৰলৈ পোৱাটো মোৰ বাবে পৰম সৌভাগ্যৰ কথা। কিন্তু মোৰ এই ব্যক্তিগত সংযোগৰ সীমা অতিক্রম কৰি আজি মোৰ মনচ প্রতিভাত হৈছে অসমীয়া ভাষা সাহিত্যৰ - আৰু লগতে অসম সাহিত্য সভাৰ - বিশেষ সন্দর্ভত এই লখিমপুৰৰ স্থানৰ সামুহিক গুৰুত্ব আৰু তাৎপর্য্যৰ কথা।

যি দুগৰাকী অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰীৰ স্মৃতিত পদ্মনাথ-পানীন্দ্র ক্ষেত্রৰ নামাকৰণ কৰা হৈছে সেই পদ্মনাথ

গোহাঞি বৰুৱা আৰু পাণীন্দ্ৰ নাথ গগৈৰ জন্ম ইয়াতেই হৈছিল বুলি লখিমপুৰে যথার্থভাৱেই গৌৰৱ কৰিব পাৰে । পাণীন্দ্ৰ নাথ গগৈৰ শিশু-পাঠ্য গ্ৰন্থসমূহৰ আকৰ্ষণীয়তা এতিয়া কিংবদন্তী । আকৌ অসমীয়া সাহিত্যৰ আত্ম প্ৰতিষ্ঠাৰ সংগ্ৰামৰ এক পুৰোধা-পুৰুষ পদ্মনাথ আছিল অসম সাহিত্য সভাৰ প্ৰথম গৰাকী সভা পতি । সেই দুয়ো পুণ্যশ্লোক ব্যক্তিৰ স্মৃতিৰ প্ৰতি মই জনাওঁ মোৰ ভক্তিপূৰ্ণ প্ৰণাম ।

এইবাৰৰ আগতে লখিমপুৰত দুবাৰ অসম সাহিত্য সভাৰ অধিবেশন অনুষ্ঠিত হৈছিল -এবাৰ ১৯৩৩ চনত জ্ঞানদাভিৰাম বৰুৱাৰ সভাপতিত্বত আৰু আন এবাৰ ১৯৬৬ চনত ধ্বনিকবি বিনন্দ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত। অসমীয়া সাহিত্যৰ জগতত বিনন্দ চন্দ্ৰ বৰুৱাৰ অবদান সৰ্বজন বিদিত। কিন্তু জ্ঞানদাভিৰাম বৰুৱাৰ অবদানে সেইদৰে স্বীকৃতি পোৱা নাই যেন লাগে। তেওঁ অধিক জনপ্ৰিয়ভাবে জে বৰুৱা বুলিহে জনাজাত আছিল। সুদীৰ্ঘ দিন বিলাতত বাস কৰাৰ অভিজ্ঞতাৰে পুষ্ট বাৰ.-এট.-ল' উপাধিধাৰী জে বৰুৱা আৰ্ল ল' কলেজৰ অধ্যক্ষ পদত অধিষ্ঠিত আছিল। ইংৰাজী ভাষা সাহিত্যত গভীৰ বুৎপত্তি থকা স্বত্বেও অসমীয়া ভাষা সাহিত্যৰ প্ৰতি জে বৰুৱাৰ দায়বদ্ধতা আছিল সম্পূৰ্ণ আৰু অকৃত্ৰিম। তেওঁ ইংৰাজী সাহিত্যৰ কেইবাখনো বাছকৰনীয়া গ্ৰন্থৰ সংক্ষিপ্ত অসমীয়া ৰূপ দিছিল। সহজ-সৰল ঘৰুৱা ভাষাত — যেনে ভেনিচৰ সাউদ, দদাইৰ পঁজা— যিবোৰৰ উদ্দেশ্য আছিল অসমীয়া শিশু আৰু কিশোৰক ইংৰাজী ভাষাত ৰচিত বিশ্ব-সাহিত্যৰ কিছু শ্ৰেষ্ঠ সাহিত্যৰ লগত পৰিচয় কৰোৱা। কিন্তু তাৰ লগে লগে বৰুৱাই আন এটা অত্যন্ত গুৰুত্বপূণ কাম কৰিছিল যিটোৰ বিষয়ে আমুঠ প্ৰায়ভাগেই হয় অৱগত নহও আৰু হ'লেও সিমান সচেতন নহওঁ। জে বৰুৱাই লক্ষ্মীনাথ বেজবৰুৱাৰ বুঢ়ী আইৰ সাধুৰ সোতৰটা নিৰ্বাচিত সাধু ইংৰাজীলৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল ১৯১৫ চনত Folk Tales of Assam নাম দি সেই গ্ৰন্থৰ দ্বিতীয় সংস্কৰণৰ পাতনিত তেওঁ স্পষ্টভাবে উল্লেখ কৰিছে যে অসমক আৰু অসমৰ সাধু কথাক পৃথিৱীৰ আগত দাঙি ধৰাই আছিল তেওঁৰ উদ্দেশ্য। অসমৰ লোক সাহিত্য আৰু লগতে অসমৰ বিষয়ে বহিৰ্বিশ্বক অৱগত কৰোৱা আৰু বিশ্ব-সাহিত্যৰ সম্পদ অসমৰ শিশু-কিশোৰৰ কাৰণে সহজলভ্য কৰি তোলা— এই উভয়মুখী প্ৰক্ৰিয়াৰ লগত নিজকে জড়িত কৰা জে বৰুৱাৰ দূৰদৰ্শিতা আছিল সঁচাকৈ প্ৰশংসনীয়।

এতিয়াৰ লখিমপুৰ আৰু তাহানিৰ উত্তৰ লক্ষীমপুৰৰ লগত সাঙোৰ খাই আছে আৰু এগৰাকী সাহিত্য-সংস্কৃতিৰ মহান সেৱকৰ নাম : সেয়া হৈছে সূৰ্যকুমাৰ ভুঞা। ঘাইকৈ বুৰঞ্জীবিদ হিচাপে প্ৰসিদ্ধ ভুঞাদেৱ এগৰাকী আগশাৰীৰ কবি-সাহিত্যিক আছিল সেই কথা আমি সকলোৱে জানো। পিছে মই ইয়াত বিশেষভাবে উল্লেখ কৰিব খুজিছোঁ অসমৰ লোক সাহিত্যৰ সংগ্ৰহ আৰু সংৰক্ষণৰ ক্ষেত্ৰত তেওঁৰ ভূমিকাৰ কথা . বৈবাহিক সূত্ৰে সূৰ্যকুমাৰ ভুঞাৰ সম্পৰ্ক ঘটিছিল এই লখিমপুৰৰ লগত। নব-বিবাহিত বিদ্বানুৰাগী যুবক ভুঞাই প্ৰথমে ইয়ালৈ আহিয়েই জানিব পাৰে যে এই অঞ্চলৰ এগৰাকী মালিতা-গায়কে বদন বৰফুকনক কেন্দ্ৰ কৰি ৰচিত মালিতাটো সম্পূৰ্ণকৈ গাব পাৰে। সেই গীত সংগ্ৰহ আৰু প্ৰকাশৰ বিষয়ত তেওঁৰ আগ্ৰহ, উদ্যম আৰু নিষ্ঠাৰ পৰিচয় স্পষ্টকৈ পোৱা যায় তেওঁ সম্পাদনা কৰি প্ৰকাশ কৰা বৰফুকনৰ গীত-পুথিৰ পাতনিত :

"১৯১৭ চনত মোৰ বিয়াৰ কিছুদিন পিছত ..... ভকতৰাম মিস্ত্ৰীয়ে গোৱা বৰফুকনৰ গীতৰ মই সন্ধেদ পাওঁ। ১৯১৯ চনত উত্তৰ লক্ষীমপুৰলৈ যাওঁতে মই ভকত ৰামক লগ ধৰিব নোৱাৰিলোঁ। তাৰ পাছত শ্ৰীযুত বিনন্দ চন্দ্ৰ ভুঞা মৌজাদাৰ ডাঙৰীয়াৰ জৰিয়তে তেখেতৰ মহৰী শ্ৰীলক্ষ্মীনাথ দত্ত-ফুকনদেৱে বৰ যত্নেৰে বোকা পানী খচকি দুলীয়া গাঁৱলৈ কেবাবাৰো গৈ মোৰ কাৰণে ভকতৰামৰ মুখৰ পৰা গীতটো টুকি আনে। ১৯১৯ চনত মই লক্ষীমপুৰলৈ যাওঁতে ভকতৰাম মাতি আনি তেওঁৰ নিজৰ মুখৰ পৰা শুনি মোৰ হাতত থকা টোকাৰ লগত মিলাই লওঁ। .....যি কিজনৰ সহায়ত এই গীতটি অসমীয়া ৰাইজৰ আগলৈ ওলাব পাৰিলে— শ্ৰীযুত বিনন্দ চন্দ্ৰ ভুঞা, শ্ৰীযুত লক্ষ্মীনাথ দত্ত-ফুকন, শ্ৰী ভকতৰাম মিস্ত্ৰি এই তিনিওজনেকে মোৰ কৃতজ্ঞতাৰ আঁজলি অৰ্পণ কৰিলোঁ।.....

আন ঠাইৰ গীত পাবলৈ চেষ্টা কৰিও নোপোৱাত আমাৰ হাতত থকা গীতটোৰ লগত মিলিব নোৱাৰিলোঁ। আমি যেনেভাৱে পাইছোঁ আৰু শুনিছোঁ তেনেভাৱে আমি বৰফুকনৰ গীতটো ছপালোঁ। তাক লৰ-চৰ কৰিবলৈ আমাৰ সত নাবায় আৰু শক্তি নাই।"

লোক-সংস্কৃতি বিজ্ঞানৰ ছাত্ৰ হিচাপে মোৰ শ্ৰদ্ধাত দোঁ খাই যায় এই গৰাকী পণ্ডিত-সাহিত্যৰ সমলৰ পাঠ-সংগ্ৰহ,

লিপিবদ্ধকৰণ, পাঠৰ শুদ্ধতাৰ নিশ্চিতকৰণ আৰু তাৰ হস্তক্ষেপহীন প্ৰকাশ—ভূঞাদেৱৰ ৰৰফুকনৰ গীতৰ প্ৰস্তুতিত এই সকলো দিশৰ বিজ্ঞানসম্মত পদ্ধতি-প্ৰকৰণ যিদৰে অনুসৰণ কৰা হৈছিল সি সেই সময়ৰ পাৰিপ্ৰেক্ষিতত, অৰ্থাৎ ১৯১৯ আৰু ১৯২৬ চনৰ ভিতৰত, প্ৰায় অভাৱনীয় আছিল। তাৰ উপৰি এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ মাজেৰে প্ৰতিফলিত হৈছে পণ্ডিতগৰাকীৰ বিৰল বৌদ্ধিক আৰু বিদ্যায়তনিক সততা। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব খুজিছোঁ যে সূর্যকুমাৰ ভূঞা ১৯৫৩ চনত শিলঙত বহা অসম সাহিত্য সভাৰ দ্বাবিংশ অধিৱেশনৰ সভাপতি আছিল।

আজি আমি সমৱেত হোৱা লখিমপুৰৰ কথা ক'বলৈ গৈ মই ইমান পৰে যিখিনি কথাৰ অৱতাৰণা কৰিলোঁ সেইখিনি অকল গতানুগতিক প্ৰশস্তিমূলক প্ৰস্তাৱনা মাত্ৰ নহয়ঃ সেইখিনিৰ লগত অসম সাহিত্য সভাৰ আৰু তাৰ উপৰি লোক-সাহিত্যিকে ধৰি সাহিত্যৰ প্ৰসঙ্গও জড়িত হৈ আছে। আমি যে পদ্মনাথ-পানীন্দ্ৰ ক্ষেত্ৰক মহামিলনভূমি বুলি অভিহিত কৰিছোঁ সিও অকল আলঙ্কাৰিক অৰ্থত নহয়, সাহিত্য শব্দৰ বুৎপত্তি আৰু আৰ্থ-ব্যঞ্জনাৰ লগতো সি সঙ্গতিপূৰ্ণ।

সাহিত্য শব্দৰ মূলতে আছে 'সহিত' শব্দটো যাৰ ভিতৰত মিলনৰ, সংযোগ-স্থাপনৰ, সংহতি -সাধনৰ ভাৱ নিহিত হৈ আছে। সাহিত্যৰ এই মিলনমুখী, সংযোগকাৰী ভূমিকাৰ কথা আগৰে পৰা উচ্চাৰিত, বৰ্ণিত আৰু চৰ্চিত হৈ আহিছে। ৰবীন্দ্ৰনাথৰ ৰচনাৰ উপৰিও অসম সাহিত্য সভাৰ একাধিক সভাপতিৰ অভিভাষণত সাহিত্য শব্দৰ এই বিশেষ ব্যাখ্যাৰ সূত্ৰ ধৰি আমি সাহিত্যৰ মাজেদি মিলন আৰু সংযোগৰ বিভিন্ন আয়তনৰ সন্ধান পাওঁ। এই মিলন অকল ভাৱৰ লগত ভাৱৰ, ভাষাৰ লগত ভাষাৰ বা গ্ৰন্থৰ লগত গ্ৰন্থৰ মিলন, এনে নহয়— ই লগতে সূচনা কৰে মানুহৰ সৈতে মানুহৰ, অতীততৰ সৈতে বৰ্তমানৰ, দূৰৈৰ সৈতে ওচৰৰ সেতু-বন্ধনৰ।

সাহিত্য শব্দটোক যদিও ইংৰাজী literature শব্দৰ সমাৰ্থক প্ৰতিশব্দ ৰূপেই গণ্য কৰা হয়, প্ৰকৃততে ব্যুৎপত্তিগত দিশৰ পৰা দুয়োটাক অভিন্ন বুলি ধৰিব নোৱাৰি। Literature শব্দটো যি লেটিন মূলৰ পৰা আহিছে তাৰ ভিতৰত লিপিবদ্ধ কৰা বা হোৱাৰ ভাবটো নিহিত হৈ আছে। অৰ্থাৎ ব্যুৎপত্তিৰ ফালৰ পৰা literature শব্দৰ সম্পৰ্ক লিখিত সমলৰ লগত। সেই মৰ্মে literature শব্দই মূলতঃ লিখিত সাহিত্যিকহে সামৰে। কিন্তু সাহিত্য শব্দৰ ব্যঞ্জনা অধিক ব্যাপক আৰু সামাজি কভাবে অধিক তাৎপৰ্য্যপূৰ্ণ। অকল লিখিত সাহিত্যই তো-সাহিত্য নহয় ঃ ধ্বনি, শব্দ, প্ৰকাশ-ভঙ্গী আৰু ব্যঞ্জনাৰ সংযোগত ৰচিত সকলো কলাসুলভ সৃষ্টিয়েই সাহিত্য—যি লিখিতই হওক বা অলিখিতই হওক। এই অলিখিত সাহিত্যই হ'ল মৌখিক সাহিত্য বা লোক-সাহিত্য।

আমি সাহিত্যৰ যি সংযোগকাৰী, সংলগ্নকাৰী ভূমিকাৰ বিভিন্ন আয়তনৰ কথা কৈছোঁ, সেই সকলোবোৰ প্ৰকৃততে লিখিত সাহিত্যতকৈও মৌখিক বা লোক সাহিত্যতহে অধিক ক্ৰিয়াশীল আৰু সুস্পষ্ট।

এই কথা অনস্বীকাৰ্য্য যে মৌখিক বা লোক-সাহিত্যৰ ইতিহাস লিখিত সাহিত্যৰ ইতিহাসতকৈ বহু বেছি প্ৰাচীন। লিখিত সাহিত্যৰ আবিৰ্ভাৱ লিপি আবিষ্কাৰৰ পৰৱৰ্তী যুগত, কিন্তু মৌখিক সাহিত্যৰ জন্ম সমাজ আৰু সংস্কৃতিৰ আৰম্ভণিৰ কালতে। মানৱ সমাজৰ আদিমতম স্তৰৰ পৰা বৰ্তমান স্তৰলৈ আৱহমান কাল ধৰি মৌখিক সাহিত্য ৰচিত আৰু প্ৰচলিত হৈ আহিছে পৃথিৱীত এনে কোনো মানৱ গোষ্ঠীৰ কল্পনা কৰিব পাৰি নে য'ত মাকে কেঁচুৱাক শান্ত কৰিবলৈ কোনো নহয় কোনো ধৰণৰ নিচুকনি গোৱা নাই, য'ত দেৱতা আৰু বিশ্ব-চৰাচৰৰ উৎপত্তি সম্পৰ্কে কোনো নহয় কোনো ধৰণৰ মন্ত্ৰ উচ্চাৰিত হোৱা নাই, য'ত ছন্দ আৰু সুৰৰ সহযোগত কোনো নহয় কোনো ধৰণৰ গীত-জাতীয় সমল ৰচিত আৰু পৰিবেশিত হোৱা নাই? এই সকলো বিলাকেই লোক-সাহিত্যৰ উপাদান, আৰু যিহেতু বিশ্বৰ সকলো জনগোষ্ঠীতে এই উপাদান বিদ্যমান, তেনেহ'লে এই কথা সঁচা নহয়নে যে লোক-সাহিত্যৰ চৰিত্ৰ বিশ্বজনীন — কাৰণ লোক-সাহিত্যই বিশ্বৰ সকলো দিশৰ সকলো প্ৰান্তৰ জনগোষ্ঠীকে এক উমৈহতীয়া লক্ষণৰ বান্ধোনেৰে বান্ধি থৈছে।

আকৌ লোক-সাহিত্যৰ এই ব্যাপ্তি বা বিস্তৃতি অকল ভৌগোলিক-স্থানভিত্তিক নহয়— সি ঐতিহাসিক কালভিত্তিকো— লোক-সাহিত্যৰ আৰম্ভণি হৈছিল সুদূৰ অতীততে ঃ সি যুগ যুগ ধৰি চলি আহিছে। আৰু বৰ্তমানতো তাৰ অস্তিত্ব লুপ্ত হৈ যোৱা নাই। নতুন সন্দৰ্ভত, বহু সময়ত নতুন ৰূপত আৰু নতুন প্ৰকাৰ্য্যেৰে সৈতে সি আজিও বৰ্তি আছে। সেই বিচাৰত লোক-সাহিত্য হ'ল এটা কালৰ লগত আন এটা কালৰ, অতীতৰ লগত বৰ্তমানৰ যোগসূত্ৰস্বৰূপ।

অতীতৰ লগত বৰ্তমানৰ সংযোগৰ সন্দৰ্ভত আৰু এটা প্ৰসঙ্গই স্বাভাৱিকভাৱে ভূমুকি মাৰে— সেয়া হ'ল পৰম্পৰাৰ লগত আধুনিকতাৰ সম্পৰ্কৰ প্ৰসঙ্গ। সাম্প্ৰতিক কালত পূৰ্বৰ পৰম্পৰা-আশ্ৰয়ী গোষ্ঠীসমূহে ৰুদ্ধশ্বাস গতিত ধাপলি মেলিছে। পশ্চিমীয়া আৰ্হিৰ নব্য জীৱনধাৰাৰ সন্ধানত। ফলত এই গোষ্ঠীসমূহে নিজ নিজ জাতি সত্তাৰ বৈশিষ্ট হেৰুৱাই সত্তাৰ সঙ্কটৰ সম্মুখীন হৈছে। এই সঙ্কটত বিভ্ৰান্ত গোষ্ঠীসমূহে পুনৰ নিজ নিজ জাতি-সত্তাগত পৰিচয়ৰ সন্ধানত উভতি চাইছে পৰম্পৰাৰ পিনে। তেওঁলোকে যেন আশ্ৰয় বিচাৰি পাইছে লোক-সংস্কৃতিৰ ভিতৰত, যি লোক-সংস্কৃতিৰ এটা প্ৰধান উপাদান হ'ল লোক-সাহিত্য। লোক-সাহিত্যকে মুখ্য কৰি লোক-সংস্কৃতিৰ মাজতে নিহিত আছে আধুনিকতা আৰু পৰম্পৰাৰ মাজৰ দ্বন্দ্বৰ সমাধানৰ পথ। ইয়াত লোক-সাহিত্যৰ সংযোগকাৰী ভূমিকাৰ আন এক নতুন দিশ উন্মোচিত হৈছে।

আমি আকৌ এবাৰ আহো মানুহৰ লগত মানুহৰ, গোষ্ঠীৰ লগত গোষ্ঠীৰ মিলন ঘটোৱাত সাহিত্যৰ ভূমিকাৰ প্ৰসঙ্গটোলৈ— অসমৰ সমাজ-সংস্কৃতিৰ বিশেষ পটভূমিত।

বৰ্তমান অসমৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰৰ আৰু চুবুৰীয়া অঞ্চলৰ বিভিন্ন জনজাতীয় গোষ্ঠীৰ লগত অসমীয়া সমাজ আৰু সংস্কৃতিৰ নাড়ীৰ সম্পৰ্ক আছে। সেই সম্পৰ্কৰ এক প্ৰধান ভিত্তি হ'ল লোক-সংস্কৃতি যাৰ ভিতৰত লোক-সাহিত্যৰ স্থান অতি গুৰুত্বপূৰ্ণ। যিহেতু সংশ্লিষ্ট গোষ্ঠীসমূহৰ সৰহভাগৰে কোনো লিখিত সাহিত্যৰ পৰম্পৰা নাই অথচ সেই সকলৰ প্ৰত্যেকৰে লোক-সাহিত্যৰ সমৃদ্ধ ভাণ্ডাৰ আছে। সেয়েহে অসমীয়া সমাজ সংস্কৃতিৰ লগত সেই গোষ্ঠীসমূহৰ আত্মীয়তাৰ যোগসূত্ৰ লোক-সাহিত্যৰ মাজত যিমানখিনি বিচাৰি পোৱা যাব লিখিত সাহিত্যৰ ভিতৰত সিমানখিনি নোপোৱাটোৱেই স্বাভাৱিক।

অৱশ্যে সুকীয়াকৈ লিখিত সাহিত্যৰ স্থানৰো নিজস্ব গুৰুত্ব আছে সেই কথা নিশ্চিত। আমি তাৰেই দুটামান দিশত দৃষ্টিপাত কৰিব খুজিছোঁ— অসমীয়া সাহিত্যৰ কথা বিশেষভাবে আমাৰ সম্মুখত ৰাখি।

অসমীয়া ভাষাত লিখিত সাহিত্যৰ ইতিহাস যিদৰে প্ৰাচীন সেইদৰে সমৃদ্ধিশালীও । আনুমানিক অষ্টমৰ পৰা একাদশ শতাব্দীৰ ভিতৰত ৰচিত চৰ্যাপদসমূহতেই তাৰ আৰম্ভণি বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। প্ৰাক-শংকৰী যুগত চতুৰ্দশ শতিকাত ৰচিত মাধব কন্দলীৰ ৰামায়ণখন সেই যুগৰ অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ উজ্জ্বল নিদৰ্শন হিচাপে আমাৰ গৌৰৱৰ বস্তু। পঞ্চদশ ষোড়শ শতাব্দীত শংকৰ-মাধবৰ দৰে অমিত প্ৰতিভাৰ যাদুকৰী স্পৰ্শই অসমীয়া সাহিত্যলৈ গুণগত উৎকৰ্ষ আৰু পৰিমাণগত ব্যাপ্তিৰ যি প্ৰচণ্ড প্ৰবাহ আনিলে তাৰ স্ৰোত ভালেমান দিনলৈ অবিৰত ধাৰাত বৈ থাকিল নানা সৃষ্টিয়েদি। মাজতে কিছুদিন অসমীয়া সাহিত্যৰ ঔজ্জ্বল্য কিছু ম্লান পৰিছিল, এটা সময়ত অসমীয়া ভাষা সাহিত্যৰ গ্ৰহণদুষ্ট দশাও চলিছিল— সেইকথা আমি সকলোৱে জানো। গ্ৰহণমুক্ত হোৱাৰ পিছত অসমীয়া ভাষা সাহিত্যই আধুনিক যুগত প্ৰবেশ কৰি পুনৰ প্ৰতিষ্ঠা লাভ কৰাৰ চমকপ্ৰদ কাহিনীও আমি নজনা নহয়। লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ, হেমচন্দ্ৰ গোস্বামীৰ দৰে দিকপাল সকলে প্ৰশস্ত কৰি যোৱা পথেৰে অগ্ৰসৰ হৈ উত্তৰসূৰী সকলে ইতিমধ্যে অসমীয়া সাহিত্যৰ বাবে সৰ্বভাৰতীয় মৰ্যাদাৰ উচ্চ আসন নিশ্চিত কৰিছে— গল্প, কবিতা, উপন্যাস আদিৰ সমৃদ্ধ সম্ভাৰেৰে। দুখনকৈ অসমীয়া উপন্যাস জ্ঞানপীঠ পুৰস্কাৰেৰে সম্মানিত হোৱাৰ উপৰিও আমাৰ সাহিত্যিকসকলৰ বিভিন্ন কৃতিয়ে বিভিন্ন ক্ষেত্ৰত সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰাতো আমাৰ বাবে প্ৰত্যয়জনক আৰু আশাব্যঞ্জক।

অসমীয়া লিখিত সাহিত্যৰ পৰিপ্ৰেক্ষিতত আমি আগতে উল্লেখ কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ স্থান আৰু ভূমিকাৰ প্ৰসঙ্গটো এইখিনিতে বিচাৰ কৰি চোৱা যাওক। আমাৰ পুৰণি লিখিত সাহিত্যলৈ ভালদৰে মন কৰিলে দেখা যায় যে তাত এই অঞ্চলৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ উল্লেখৰ অভাব নাই। অকল শংকৰ-মাধবৰ ৰচনাতেই নহয়— পুৰণি সাহিত্যৰ বিভিন্ন চানেকিত কিৰাট, কছাৰী, খাচী, মিৰি, গাৰো, ভোট আদি গোষ্ঠীৰ প্ৰসংগ প্ৰায়ে উত্থাপিত হৈছে। দৰং ৰাজ বংশাৱলী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী এই আদি বিভিন্ন জনগোষ্ঠীসমূহৰ মাজৰ আন্তঃসম্পৰ্কৰ তথ্যৰে ভৰপূৰ হৈ আছে। সাম্প্ৰতিক কালত এই গোষ্ঠীসমূহৰ সামাজিক, সাংস্কৃতিক বৈশিষ্ট্যৰ তথ্য সম্বলিত বিদ্যায়তনিক ৰচনাৰ প্ৰকাশো চকুত লগা ধৰণে বৃদ্ধি পাইছে।

কিন্তু তাৰ লগে লগে সৃষ্টিমূলক সাহিত্যৰ ক্ষেত্ৰতো বিভিন্ন জনগোষ্ঠীৰ স্থানৰ প্ৰভূত প্ৰাসঙ্গিকতা আছে। অসমীয়া সমাজ-সংস্কৃতিৰ অঙ্গীভূত অথবা এই সমাজ সংস্কৃতিৰ লগত আত্মীয়তা সূত্ৰে ঘনিষ্ঠ জনগোষ্ঠীসমূহৰ জীৱনচৰ্যা, সুখ-দুখ, আশা-

আকাঙ্খা আদি আমাৰ সাহিত্যকাৰসকলৰ বাবে সৃষ্টিৰ উৰ্বৰ ভূমি হিচাপে বিৰাজমান— সেইবোৰৰ পৰা সমল বুটলি আমাৰ সাহিত্যিক বৈচিত্রময় আৰু ঐশ্বৰ্যশালী কৰি তোলাৰ সুযোগে যেন আমাৰ সাহিত্যিক সকলক হাত বাউলি দি মাতি আছে। সেই হাত বাউলিক সঁহাৰি দিয়াৰ শুভাৰম্ভ হৈছিল ৰজনীকান্ত ৰৰদলৈৰ হাতত— মিৰি জীয়ৰীৰ দৰে উপন্যাস যাৰ সাক্ষী। তাৰ পিছত এই দিশৰ উল্লেখযোগ্য সংযোজনৰ ভিতৰত আছে বীৰেন্দ্রকুমাৰ ভট্টাচার্যৰ ঈয়াৰুইঙ্গম, ৰং বং তে ৰাঙৰ ৰংমিলিৰ হাঁহি, মেদিনী চৌধুৰীৰ ফেৰেঙ্গাদাও, উমাকান্ত শর্মাৰ ছিমছাঙৰ দুটি পাৰ আৰু ভাৰুণ পক্ষীৰ জাক, বিৰিঞ্চি কুমাৰ বৰুৱাৰ সেউজী পাতৰ কাহিনী, নৱকান্ত বৰুৱাৰ গৰমা কুৱৰী আদি উপন্যাস। সেইদৰে গল্প, কবিতা আদিতো ইয়াৰ প্রতিফলন ঘটা দেখা গৈছে। কিন্তু আমাৰ সৃষ্টিশীল সাহিত্যকাৰ সকলৰ পৰা এই দিশত ব্যক্তিগত ভাবে মোৰ প্রত্যাশা ইয়াতোকৈ বহুত বেছি।

অসমীয়া সৃষ্টিশীল সাহিত্যৰ ক্ষেত্রত সংশ্লিষ্ট জনগোষ্ঠীসমূহৰ ভূমিকাৰ প্রসঙ্গটোৰ আন এক তাৎপর্যপূর্ণ দিশ আছে। (এই জনগোষ্ঠীসমূহৰ ভিতৰত অসমীয়া ভাষা-সাহিত্যিক আপোন কৰি লোৱা চাহ-জনগোষ্ঠী আৰু চৰ-চাপৰিবাসী অভিবাসী আদি গোষ্ঠীকো ধৰা হৈছে।) সেয়া হ'ল এই ঃ এই জনগোষ্ঠীসমূহৰ পৰাই ওলাই আহিছে অসমীয়া ভাষাৰ শক্তিশালী ঔপন্যাসিক, গল্পকাৰ, কবি, প্রবন্ধকাৰ আদি, যিসকলে নিজ নিজ জনগোষ্ঠীয় পৰম্পৰাৰ জ্ঞান, অভিজ্ঞতা আৰু অন্তঃদৃষ্টিৰে অসমীয়া সাহিত্যলৈ আনি দিছে পূর্বতে নোপোৱা আপুৰগীয়া সোৱাদ। য়েছে দৰজে ঠেংছি, লুম্মেৰ দাই, ৰং বং তে ৰাঙ, যতীন মিপুন, জীবন নৰহ, গংগামোহন মিলি, নিৰুপমা বসুমতাৰী, সনন্ত তাঁতী, সমীৰ তাঁতী, ইছমাইল হোছেইন — এই ক্ষেত্রত এয়া মাত্র উদাহৰণ স্বৰূপে বিক্ষিপ্ত ভাবে উল্লেখ কৰা কেইটামান নাম। তালিকাখন দীঘলীয়া কৰি গৈ থাকিব পাৰি।

* * * * * *

আমি কিছু আগতে অসমৰ জনগোষ্ঠীসমূহৰ মাজত উপস্থিত হোৱা সত্তাৰ সংকট আৰু তাৰেই পৰিণতিস্বৰূপে লোক-সংস্কৃতিত নিজ নিজ স্থিতিৰ শিপা বিচাৰি পোৱাৰ প্রসংগৰ অৱতাৰণা কৰিছিলোঁ। এই সঙ্কট অকল সৰু সৰু জনগোষ্ঠীবোৰৰেই নহয়, এক ধৰণে এই সকলো গোষ্ঠীক সামৰি বৃহত্তৰ অসমীয়া সমাজখনো যে সত্তাৰ সঙ্কটত ভুগিছে তাৰ লক্ষণ বিভিন্ন ধৰণে প্রকাশ পাইছে। যোৱা তিনি দশকমানৰ ঘটনাৱলীয়ে তাৰেই সাক্ষ্য বহন কৰে।

এই প্রসঙ্গৰ সূত্র ধৰি আমি কব খুজিছোঁ সেইটো প্রশ্নলৈ যিটোৰ লগত অসমৰ ভিতৰৰ অসমীয়া সমাজেই জড়িত হৈ থকা নাই ৰৰং অসমীয়া সমাজ-সংস্কৃতিৰ সীমাৰ সম্প্রসাৰণৰ বিষয়টোও প্রাসঙ্গিক হৈ দেখা দিছে। সাম্প্রতিক কালত যিটো পৰিঘটনাই বিশ্বৰ প্রায় সকলো দেশ, সকলো প্রান্ত আৰু সকলো জাতিগোষ্ঠীক স্পর্শ কৰি গৈছে তাৰ নাম দিয়া হৈছে globalization যাক আমি বিশ্বায়ন বা গোলাকায়ন বুলি ক'ব পাৰোঁ। আধুনিক প্রযুক্তি আৰু বজাৰ অর্থনীতিৰ ক্ষেত্রসমূহত হোৱা অভূতপূর্ব অগ্রগতিয়ে বিশ্বৰ বিভিন্ন ৰাষ্ট্র আৰু অঞ্চলৰ মাজৰ দুৰত্ব এনেদৰে সঙ্কুচিত কৰি আনিছে যে সমগ্র পৃথিৱীখনেই এক global village বা বিশ্ব-গ্রামত পৰিণত হোৱাৰ উপক্রম হৈছে। এই বিশ্বায়ন বা গোলাকায়ন নেতিবাচক দিশবোৰৰ বিৰুদ্ধে সচেতন মহল ইতিমধ্যে সোচ্চাৰ হৈ উঠিছে। এই গোলাকায়ন প্রক্রিয়াত পাশ্চাত্যৰ প্রাধান্য প্রশ্নাতীত। পিছে পশ্চিমীয়া বতাহ আমাৰ ফালে বলিবলৈ আৰম্ভ কৰিছিল বহু আগতেই। মাত্র সি এতিয়া ক্রমাৎ প্রবল হৈ আহিছে। এই প্রসঙ্গলৈ আমি পিছত আকৌ আহিম।

বিশ্বায়ন বা গোলাকায়নৰ এটা চকুত লগা পৰিণতি হৈছে এয়ে যে আজি ভৌগোলিক অৱস্থান (geographical location) আৰু সাংস্কৃতিক অৱস্থান (cultural location) এক হৈ থকা নাই। এটা অঞ্চল বা এটা গোষ্ঠীৰ সাংস্কৃতিক উপাদানে নিজ অঞ্চল বা গোষ্ঠীৰ সীমা অতিক্রম কৰি অইন অইন অঞ্চল বা গোষ্ঠীৰ মাজত খোপনি পুতিছেগৈ। অসমীয়া সংস্কৃতিৰ ক্ষেত্রতো তেনে লক্ষণে দেখা দিছে।

আৰু এটা নতুন পৰিস্থিতিৰ উদ্ভৱ হৈছে নীৰৱে কিন্তু অত্যন্ত তাৎপর্যপূর্ণভাবে। আগতেও ভাৰতৰ মানুহ — তাৰ ভিতৰত অসমীয়া মানুহো আছিল— দেশৰ বাহিৰলৈ, বিশেষকৈ পশ্চিমৰ দেশলৈ গৈছিল। কিন্তু পশ্চিমত স্থায়ীভাবে বাস কৰিবলৈ প্রায়ে নগৈছিলেই ঃ যিসকল কিছুদিন থাকি উভতি আহিছিল সেইসকলক কোৱা হৈছিল 'বিলাৎ ফিৰত'। কিন্তু সম্প্রতি বিদেশত — বিশেষকৈ ইংলেণ্ড আৰু আমেৰিকাত সুদীর্ঘ দিন ধৰি বাস কৰা বা নিগাজীকৈ থাকি সেই দেশৰ নাগৰিকত্ব গ্রহণ কৰা ভাৰতীয় লোকৰ সংখ্যা প্রচুৰ। সেইসকলৰ বাবে যিটো অভিধা এতিয়া ব্যৱহৃত হয় সেয়া হ'ল "অনিবাসী

ভাৰতীয়"— ইংৰাজীত NRI, পূৰাকৈ Non-Resident Indian। এই অনিবাসী ভাৰতীয় সকলৰ ভিতৰত এতিয়া অসমীয়া মূলৰ লোকৰ সংখ্যাও প্ৰচুৰ। এই অনিবাসী অসমীয়া সকলে তেখেতসকলৰ নিজ নিজ গৃহীত বাসভূমিত অসমীয়া সংস্কৃতিৰ ধাৰা বোৱাই ৰখাৰ প্ৰতি আগ্ৰহীয়েই নহয়, সেই দিশত বিশেষভাবে তৎপৰো। তেখেতসকলে নিজ নিজ বৰ্তমান বাসভূমিত অসমীয়া সংস্কৃতি ভিত্তিক উৎসৱ অনুষ্ঠান পাতে; তাৰে ভিতৰত কিছুসংখ্যকে অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাচহা নিষ্ঠাৰে লাগি আছে। উল্লেখযোগ্য যে ইংলেণ্ড আৰু আমেৰিকাত অসম সাহিত্য সভাৰ দুটা শাখা আছে। আমেৰিকা আৰু ইংলেণ্ডত প্ৰকাশিত হয় দুখন পত্ৰিকা যাৰ নাম যথাক্ৰমে লুইতৰ পৰা মিচিচিপি আৰু লুইতৰ পৰা টেমছলৈ।

এই কথাখিনিৰ অৱতাৰণা কৰাৰ কাৰণ হ'ল এয়াঃ কিছুদিন আগলৈকে অসমীয়া সংস্কৃতিৰ নিজ গৃহ ভূমি বুলিলেই পোনচাতেই আমাৰ মনলৈ আহিছিল অসম নামৰ ভূখণ্ডৰ কথা। কিন্তু আজি পৰিস্থিতিৰ পৰিবৰ্তন ঘটিছে : এতিয়া অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰতে অসমীয়া সংস্কৃতিৰো চাৰিসীমা আবদ্ধ থাকিব লাগিব বুলি কথা নাই। অসমীয়া সংস্কৃতিক প্ৰতিনিধিত্ব কৰা, অসমীয়া সংস্কৃতিৰ বিষয়ে আগ্ৰহী আৰু উৎসাহী গোষ্ঠী যি ঠাইতে যথেষ্ট পৰিমাণে থাকে সেই ঠাইখিনিয়েই একধৰণে অসমীয়া সংস্কৃতিৰ গৃহভূমিলৈ পৰিণত হয়। সেই ফালৰ পৰা চাবলৈ গলে ইংলেণ্ড আৰু আমেৰিকাতো অসমীয়া গৃহভূমিৰ একোচমকাই গঢ় লৈ উঠিছে। আমি কিছু আগতে শিপাৰ সন্ধানৰ প্ৰক্ৰিয়াৰ কথা কৈছিলো সত্তাৰ সঙ্কটত ভোগা আমাৰ থলুৱা গোষ্ঠীসমূহৰ সন্দৰ্ভত। বিদেশত থকা অসমীয়া মূলৰ সমাজেও নিজৰ গৃহভূমিৰ পৰা বিচ্ছিন্ন হৈ "শিপাৰ সন্ধান" কৰে অসমীয়া সাংস্কৃতিক পৰম্পৰাৰ মাজত।

* * * * * *

এইখিনিতে প্ৰাসংগিক হ'ব বুলি আমি ভাষাৰ, আৰু লগতে উপভাষাৰ প্ৰসংগটো আনিব খুজিছোঁ। মানৱ সমাজৰ সবাতোকৈ গুৰুত্বপূৰ্ণ সাংস্কৃতিক উপাদানসমূহৰ ভিতৰত ভাষাও এটা। ভাষা অকল ভাব-প্ৰকাশৰ আৰু আদান-প্ৰদানৰ আহিলাই নহয়, সি লগতে সাহিত্যৰো বাহন। তাৰ উপৰি ভাষা হৈছে একোটা সংস্কৃতিৰ ভিতৰলৈ চাই পঠিয়াৰ পৰা খিৰিকিৰ দৰে।

অসমৰ ক্ষেত্ৰত ভাষাৰ প্ৰশ্নটোৰ লগত বিশেষ ধৰনৰ সংবেদনশীলতা বা স্পৰ্শকাতৰতা জড়িত হৈ আছে। স্বীকাৰ কৰিব লাগিব যে অসমীয়া সংস্কৃতিৰ ধাৰণাটো বহুখিনি ভাষাকেন্দ্ৰিক। বহু সময়ত অসমীয়া ভাষাটোৱেই অসমীয়াত্বৰ পৰিচয়-বাহক বুলি ধৰি লোৱাৰ ফলত 'অসমীয়া কোন' বুলি অবাঞ্ছিত আৰু অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱা আমি লক্ষ্য কৰিছোঁ। এইটো বিষয়ত আমাৰ স্থিতি সুস্পষ্ট হোৱাৰ দৰকাৰ : যিসকলে ৰাজহুৱা ভাবে অসমীয়া ভাষাক নিজা ভাষা বুলি স্বীকৃতি আৰু মান্যতা দিয়ে - নিজৰ ভিতৰত আন ভাষা ক'লেও -সেই সকলো অসমীয়া- ভাষীয়েই আৰু সেইসকলৰ অসমীয়াত্বক লৈ প্ৰশ্ন উঠাটো অবান্তৰ।

এইটো দোহাৰিবৰ প্ৰয়োজন নাই যে আৰ্যমূলীয় ভাষাগোষ্ঠীৰ সদস্য হোৱা সত্বেও অসমীয়া ভাষাৰ বিকাশ আৰু পুষ্টি সাধনত অষ্ট্ৰিক আৰু তিব্বত-বৰ্মী আদি আৰ্য্যেতৰ ভাষাৰ প্ৰচুৰ অৱদান আছে। আনহাতে অসমীয়া ভাষাৰ সংস্পৰ্শলৈ অহা বিভিন্ন জনজাতীয় ভাষায়ো বিভিন্ন ধৰণে আৰু বিভিন্ন অনুপাতত অসমীয়া ভাষাৰ প্ৰভাৱৰ চিহ্ন বহন কৰে। সকলো দিশৰ বিচাৰত এইটো নিঃসন্দেহ যে অসম অঞ্চলত অসমীয়া ভাষাৰ ভূমিকা বহুমাত্ৰিক।

এই সন্দৰ্ভত অসম সাহিত্য সভাৰ ১৯৮২ চনৰ ডিব্ৰু অধিবেশনৰ আলোচনা-চক্ৰৰ সঞ্চালক ৰূপে মই দিয়া ভাষণৰ কিছু প্ৰাসংগিক অংশ ইয়াত উদ্ধৃত কৰিব খুজিছোঁ :

"অসমৰ সাহিত্যৰ কথা উঠিলেই স্বাভাবিকতে অসমীয়া ভাষাত ৰচিত সাহিত্যৰ কথাই আগ ভাগ পাব। তাৰ স্পষ্ট কাৰণ - অসমীয়া ভাষাই হৈছে অসমৰ জনসমষ্টিৰ সংখ্যাগৰিষ্ঠ অংশৰ ভাষা। কিন্তু মনত ৰাখিব লাগিব যে অকল ৰক্তাৰ সংখ্যাগৰিষ্ঠতাতেই অসমীয়া ভাষাৰ গুৰুত্ব নিহিত হৈ থকা নাই। অসম আৰু বৰ্তমান অসমৰ বাহিৰৰ উত্তৰ-পূব ভাৰতৰ এক বিস্তৃত অঞ্চলত, বিভিন্ন জনগোষ্ঠীৰ মাজৰ সংযোগী ভাষা হিচাপেও অসমীয়া ভাষাৰ স্থান অতি গুৰুত্বপূৰ্ণ। নাগামীজ বা নগা-অসমীয়া আৰু নেফাজীয় বা অৰুণাচলী অসমীয়া হৈছে অসমীয়া ভাষাৰ সংযোগকাৰী ভূমিকাৰ বিশেষীকৃত ৰূপ। আকৌ এই অঞ্চলৰ বিভিন্ন থলুৱা জনজাতীয় আৰু অন্যান্য গোষ্ঠীৰ বৃজন পৰিমাণৰ দ্বিতীয় ভাষা হৈছে অসমীয়া ভাষা, যাক

এই লোকসকলে মাতৃভাষাৰ দৰেই সহজ আৰু স্বাভাৰিকভাৱে ব্যৱহাৰ কৰে। ইয়াৰ উপৰি অসমীয়া ভাষাই ভাৰতৰ এই উত্তৰ পূব প্ৰান্তত এনে এটি ভূমিকা পালন কৰি আহিছে যাৰ গুৰুত্ব আৰু তাৎপৰ্য্য সঁচাকৈয়ে অতি বিৰল। ঘাইকৈ কিৰাতমূলীয় আৰ্য্যেতৰ প্ৰজাতিৰগত আৰু সাংস্কৃতিক উপাদানৰ লগত আৰ্য্য উপাদানৰ মিলনৰ যি প্ৰক্ৰিয়াৰ দ্বাৰা অসমীয়া জাতি আৰু সাংস্কৃতিৰ উদ্ভৱ আৰু বিকাশ হৈছে, তাত অসমীয়া ভাষাই এক শক্তিশালী (catalytic agent) অনুঘটক হিচাপে কাম কৰিছে। অসমীয়া ভাষাৰ এই ভূমিকা আজিও অব্যাহত আছে। গতিকে অসমীয়া ভাষা অকল অসমৰ ভৈয়ামৰ অজনজাতীয় সম্প্ৰদায়ৰ নিজৰ ভিতৰত আবদ্ধ ভাষা নহয়, ই এই অঞ্চলৰ জনগোষ্ঠীৰ উমৈহতীয়া প্ৰয়োজন আৰু প্ৰায়োগৰ ভাষা।"

ইয়াতে যোগ দিয়া উচিত হ'ব যে ইতিমধ্যে অসমীয়া ভাষা-গ্ৰহণৰ এই প্ৰক্ৰিয়াৰ অংশীদাৰ হৈছে অসমীয়া সমাজভুক্ত হবলৈ আগবাঢ়ি অহা অসমৰ চাহ জনগোষ্ঠী, অসমৰ নেপালী আৰু চৰ-চাপৰিবাসী পূৰ্ব্বঙ্গীয় মূলৰ অভিবাসী সম্প্ৰদায়।

উল্লেখযোগ্য যে জনজাতীয়সকলৰ এক বৃহৎ অংশই অসমীয়া ভাষাকেই একমাত্ৰ মাতৃভাষা হিচাপে গ্ৰহণ কৰি লৈছে। উদাহৰণস্বৰূপে, সোণোৱাল, কছাৰীসকল, দেউৰীসকলৰ সৰহভাগ ফৈদ, ভৈয়ামৰ তিৱা আৰু কাৰবিসকলৰ বুজন অংশ, ৰাভাৰ পাতি, দাহুৰি, টোটলা আদি ফৈদ আৰু মিচিঙৰ কেইটামান ফৈদকে ধৰি বিৰাটসংখ্যক জনজাতীয় লোকে নিজ নিজ অঞ্চলৰ থলুৱা অসমীয়া ভাষাকেই গ্ৰহণ কৰি সেই ভাষাক নিজৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্য প্ৰদান কৰিছে। অসমীয়া ভাষাক নিজস্ব কৰি লোৱাৰ ফলত এই জনজাতীয় লোকসকলৰ জনজাতীয়ত্ব হানি হোৱা নাই, আৰু তেনে হোৱাটো আৱশ্যকো নহয়। বৰং ওলোটাকৈ এনে যুক্তি দাঙি ধৰিব পাৰি-যি অসমীয়া ভাষা বিৰাট সংখ্যক জনজাতীয় লোকৰ নিজস্ব ভাষা, সিও এটা জনজাতীয় ভাষা বুলি বিবেচিত হবৰ যোগ্য নহয়নে?

মন কৰিবলগীয়া কথা যে অসমীয়া লোক-সাহিত্যৰ ভালেমান সমাজতাত্ত্বিক দিশৰ পৰা মূল্যবান সম্পদ ৰক্ষিত হৈ আছে। বিভিন্ন জনজাতীয় গোষ্ঠীয়ে গ্ৰহণ কৰা অসমীয়া ভাষাৰ বিশিষ্ট ৰূপত। সোণোৱাল কছাৰীসকলৰ হাইদাং আৰু হুচৰি গীত, দেউৰীসকলৰ বিচু আদি উৎসৱৰ লগত জড়িত আবৰৱ' আৰু লহৰিয়া আদি গীত-পদ, ভৈয়ামৰ তিৱাসকলৰ লালি-হিলালী, গীত, ৰৰতৰ গীত, ৰাতি-সেৱাৰ গীত আদি, ৰাভাসকলৰ বাবে পূজাৰ গীত, তুকুৰীয়া গীত, লাখৰ গীত আদি, ভৈয়ামৰ কাৰবিসকলৰ আৰ কুৰা গীত, দমাহী আলুন আদি এনে সমলৰ উৎকৃষ্ট উদাহৰণ। ইয়াৰ উপৰিও বিভিন্ন জনজাতীয় গোষ্ঠীৰ বিবিধ কাহিনী, মন্ত্ৰ আৰু অন্যান্য সকলৰ মাধ্যম হ'ল সংশ্লিষ্ট গোষ্ঠীয়ে ব্যৱহাৰ কৰা অসমীয়া ভাষা। সেইবোৰক বাদ দি অসমীয়া লোক-সাহিত্যৰ লেখ লোৱাৰ প্ৰশ্ন উঠিব নোৱাৰে। আকৌ অসমৰ সাংস্কৃতিক ৰুৰঞ্জীৰ বাবে অতি তাৎপৰ্য্যপূৰ্ণ কিছুমান সমল বিশেষ বিশেষ জনজাতীয় সমাজৰ মাজতহে ৰক্ষিত হৈ আছে। আমি দুটামান উদাহৰণ দাঙি ধৰিছোঁ। পৰতীয়া 'নগা' ৰজাই শ্ৰীৰাম আতাৰ ওচৰত শৰণ লৈ নৰোত্তম ৰূপে পৰিচিত হোৱাৰ যি কাহিনী অসমৰ নৱ-বৈষ্ণৱ আন্দোলনৰ ৰুৰঞ্জীৰ বাবে অতি গুৰুত্বপূৰ্ণ সি বৰ্ত্তি আছে তিৱাসকলৰ ৰাতি-সেৱা অনুষ্ঠানত পৰিবেশিত গীত-মাতৰ মাজত। সেইদৰে আহোম আৰু চুতীয়া সকলৰ মাজৰ সম্পৰ্কৰ কিছুমান গুৰুত্বপূৰ্ণ তথ্যৰ সন্ধেদ পোৱা যায় দেউৰীসকলৰ গীত-মাততে আমোদজনকভাৱে, মণিৰাম দেৱানে ফাঁচী কাঠত ওলমি মৃত্যু ৰৰণ কৰাৰ কৰুণ পৰিস্থিতিৰ বৰ্ণনাৰ ডুখুৰীয়া ছবি এখন পোৱা যায় মণিৰাম দেৱানৰ মালিতাৰ এনে এটা অংশত, যি এতিয়াও প্ৰচলিত হৈ আছে মিচিং সমাজৰ শিশু-ওমলোৱা গীতৰ ৰূপতঃ

মণিৰামৰ চন্‌তালত তেন্‌তেলি এজুপা
মণিৰাম জিৱায়ে ৰ'ল।
মণিৰাম দেৱানৰ্‌ মৰিবৰে পৰা
তেন্‌তেলী অৰিয়ে গ'ল।

(মিংচিং সকলে কোৱা অসমীয়া ভাষাৰ বিশেষ ৰূপত চোতাল 'চন্‌তাল', তেতেলী 'তেন্‌তেলি', আৰু সৰিয়ে 'অৰিয়ে' হৈছে।)

ইয়াৰেই সূত্ৰ ধৰি আমি আহিব খুজিছোঁ উপভাষাৰ প্ৰসঙ্গটোলৈ। অসম সাহিত্য সভাৰ নিয়মাৱলীত ঘোষিত হোৱা মতে "অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাংগীন উন্নতি কৰাই এই সভাৰ ঘাই উদ্দেশ্য। লগতে থলুৱা ভাষা, সংস্কৃতিৰ

উন্নয়নৰ বাবে কাম কৰাৰ সভাৰ অন্যতম উদ্দেশ্য হ'ব ।"

এই থলুৱা ভাষাসমূহৰ ভিতৰত কি কি পৰে ? নিঃসন্দেহে ইয়াৰ ভিতৰত আছে বিভিন্ন থলুৱা জনজাতীয় ভাষা সমূহ । তাৰ লগতে জনজাতীয় তথা আন গোষ্ঠীয়ে নিজস্ব কবি লোৱা অসমীয়া ভাষাৰ বিশিষ্ট ৰূপবোৰ - বিশেষৰ প্ৰাসঙ্গিকতা আৰু গুৰুত্বৰ বিষয়ে কিছু আভাস ইতিমধ্যে দিয়া হৈছে ।

কিন্তু থলুৱা ভাষাৰ সংজ্ঞাই অঞ্চলগত বিশিষ্ট ৰূপ অৰ্থাৎ আঞ্চলিক উপভাষাসমূহকো সামৰা উচিত। অসমীয়া ভাষা বুলিলে সাধাৰণতে যদিও অসমীয়াৰ মান্য ৰূপটোৰেই পোনছাটে মনলৈ আহে, প্ৰকৃততে সেই ৰূপটোৱে ভাষাটোৰ সামগ্ৰিক ৰূপটোকে দাঙি নধৰে । বিভিন্ন অঞ্চলত প্ৰচলিত উপভাষাসমূহক লৈয়েই অসমীয়া ভাষাৰ সম্পূৰ্ণ সত্তা; আৰু এই উপভাষা সমূহৰ কোনো এটা বাদ পৰা মানেই ভাষাটোৰ অঙ্গহানি হোৱা । ঐতিহাসিক, ভৌগোলিক, সমাজতাত্ত্বিক আৰু ৰাজনৈতিক আদি বিভিন্ন কাৰণত ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে নগাওঁ আৰু শোণিতপুৰ জিলাৰ পৰা আৰম্ভ কৰি উজনি অসমৰ তিনিচুকীয়া আৰু ধেমাজি জিলালৈকে পূৰ খণ্ডত প্ৰচলিত উপভাষাসমূহত মোটামুটি ধৰনৰ সমৰূপতা বিদ্যমান । কিন্তু মৰিগাওঁ আৰু দৰং জিলাৰ পৰা আৰম্ভ কৰি কোকৰাঝাৰ আৰু ধুবুৰী জিলালৈকে সামৰা নামনি খণ্ডত এনে সমৰূপতা পৰিলক্ষিত নহয় । ফলৰ এই খণ্ডৰ বিভিন্ন অঞ্চলত কামৰূপী, দৰঙী আৰু গোৱালপৰীয়া বুলি চিহ্নিত কৰিব পৰা তিনিটা প্ৰধান উপভাষাৰ প্ৰচলন - যদিও প্ৰতিটো উপভাষাৰে আকৌ একাধিক বিশিষ্ট ৰূপ পোৱা যায় । উজনিৰ শিৱসাগৰ কেন্দ্ৰিক উপভাষাৰ ভিত্তি কৰিয়েই মান্য অসমীয়া ভাষাৰ স্থিতি। এই মান্য উপভাষাৰ ৰূপতকৈ নামনিৰ উপভাষাসমূহৰ ৰূপৰ অমিল হোৱা কাৰণেই সেইবোৰৰ গ্ৰহণযোগ্যতাৰ বিষয়ে নানা সময়ত প্ৰশ্ন উঠিছিল যদিও তাৰ চোক সম্প্ৰতি প্ৰায় নোহোৱা হৈছে । কিন্তু দুৰ্ভাগ্যজনক হ'লেও এইটো সঁচা যে ভাষাভিত্তিক উজনি- নামনি বিচাৰে এটিয়াও মাজে মাজে আমাৰ সমাজ-জীৱনত কিছুমান অপ্ৰীতিকৰ পৰিস্থিতি আৰু তৎপৰতাৰ উৎস হৈ দেখা দিয়ে ।

ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিচাৰত কামৰূপ আৰু দৰং অঞ্চলৰ উপভাষাসমূহৰ ৰূপৰ লগত অসমীয়াৰ গৃহিত মান্য ৰূপৰ আমিল থাকিলেও সেই অমিল গুৰুতৰ ধৰণৰ নহয়। কিন্তু ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক উভয় দিশত মান্য অসমীয়া ৰূপৰ তুলনাত গোৱালপৰীয়া উপভাষাসমূহৰ, বিশেষকৈ সৰ্বপশ্চিম প্ৰান্তৰ উপভাষাৰ পাৰ্থক্য চকুত লগা- (যা ক'ব পাৰি, কাণত লগা) - যাৰ ফলত সেই উপভাষাই অসমীয়া ভাষাৰ ৰূপভেদ বুলি স্বীকৃতি পোৱাৰ বাটৰ অন্তৰায় আজিও সম্পূৰ্ণ দূৰ হৈছে বুলি ক'ব পৰা অৱস্থা হোৱা নাই। অকল ঔপভাষিক ৰূপবোৰেই নহয় কোনো কোনো সময়ত অসমীয়া ভাষা-সংস্কৃতিৰ বিদ্যায়তনিক অধ্যয়নৰ ফলত বৌদ্ধিক স্তৰত ডাঙৰ আঁতৰিবলৈ আৰম্ভ কৰিছিল। শেহতীয়াকৈ অৱশ্যে সদ্যপ্ৰয়াত শ্ৰীমতী প্ৰতিমা বৰুৱা পাণ্ডেকে মুখ্য কবি বিভিন্ন শিল্পীয়ে পৰিবেশন কৰা গোৱালপৰীয়া লোকগীত আৰু লোক-নাট্য আদিৰ প্ৰচাৰৰ যোগেদি অসমীয়া সমাজৰ সকলো স্তৰত গোৱালপৰীয়া সমলৰ গ্ৰহণযোগ্যতা সুপ্ৰতিষ্ঠিত হৈছে। এয়া অত্যন্ত শুভলক্ষণ, সন্দেহ নাই।

প্ৰসঙ্গক্ৰমে এইখিনিতে উনুকিয়াব খুজিছোঁ যে গোৱালপাৰা অঞ্চলৰ উপভাষাত ৰচিত লোক-সাহিত্যই যিদৰে অসমীয়া লোক-সাহিত্যৰ ভঁৰাল চহকী কৰিছে, সেইদৰে অসমীয়া লিখিত সাহিত্যলৈকো এই অঞ্চলৰ অৱদান উপেক্ষণীয় নহয়। পশ্চিম গোৱালপাৰা আৰু তাৰ সংলগ্ন উত্তৰ বঙ্গৰ 'দেশী' বুলি নিজৰ পৰিচয় দিয়া কবিসকলে অসমীয়া সাহিত্যৰ বুৰঞ্জীত ঠাই পাইছে, যদিও তেওঁলোকক দিয়া স্বীকৃতি সকলো ক্ষেত্ৰতে দ্বিধাহীন বুলি কব নোৱাৰি। কিন্তু এই ক্ষেত্ৰত এগৰাকী কবিৰ নাম বিশেষভাবে লবই লাগিব— সেয়া হ'ল মহাভাৰত-ৰচয়িতা কবীন্দ্ৰ। এই কবীন্দ্ৰকে নৰনাৰায়ণৰ ৰাজসভাৰ পাত্ৰ আৰু তেওঁৰ বিশ্বস্ত সেনানায়ক কবিন্দ্ৰ পাত্ৰ বুলি ভৰাৰ থল আছে। ডিক্ষোখৰ নেওগে এই কবীন্দ্ৰকেই অসমৰ 'ভাৰ ভিলিণ হিজনি' বুলি অভিহিত কৰিছে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে গৌৰীপুৰৰ জমিদাৰ পৰিয়ালৰ উপৰি পুৰুষ কবীন্দ্ৰ এই মহাভাৰত ৰচয়িতা গৰাকীয়েই আছিল বুলি বিশ্বাস কৰি উল্লিখিত মহাভাৰত বুলি পৰিয়ালটোৱে বিশেষ মূল্য দি আহিছে। সেই অঞ্চলৰ ভাষাত ৰচনা কৰা এই মহাভাৰতখন সংক্ষিপ্ত যদিও সম্পূৰ্ণ। অসমীয়াৰ এটা উপভাষাত ৰচিত একমাত্ৰ সম্পূৰ্ণ মহাভাৰত বুলি সেয়েহে এই পুথিখনিয়ে আমাৰ বিশেষ মনোযোগ পোৱা উচিত। অসমৰ শিক্ষা আৰু সংস্কৃতিৰ জগতলৈ বিভিন্ন ধৰণে যিমানি যোগাই অহা এই ৰজৰা উপাধিধাৰী জমিদাৰ পৰিয়ালৰে সন্তান আছিল প্ৰমথেশ চন্দ্ৰ বৰুৱা যাৰ শতবাৰ্ষিকী এই বছৰ অসমত

উৎসাহেৰে আৰু বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হ'ব লাগিছে। সেয়া আমাৰ কাৰণে স্বস্তি আৰু আনন্দৰ কথা— কাৰণ বাংলা আৰু হিন্দী চলচ্চিত্ৰৰ যোগেদি অসমলৈ গৌৰৱ কঢ়িয়াই অনা এই প্ৰমথেশ চন্দ্ৰ বৰুৱাৰ অসমৰ প্ৰতি আনুগত্যৰ বিষয়েই এসময়ত সন্দেহ প্ৰকাশ কৰা হৈছিল।

এইখিনিতে থোৱতে বৰাক উপত্যকাৰ বিষয়েও কিছু কথা ক'ব খুজিছোঁ।

বৰাক উপত্যকা অকল ভৌগোলিক আৰু প্ৰশাসনিক ভাবেই অসমৰ লগত আছে এনে নহয়— ঐতিহাসিক, ৰাজনৈতিক, নৃতাত্ত্বিক আৰু সাংস্কৃতিক আদি বিভিন্ন ধৰণে সি অসমৰ সামগ্ৰিক চিত্ৰখনৰ অন্তৰ্ভুক্ত। পিছে সেই উপত্যকাৰ প্ৰতি বহু সময়ত আমাৰ দৃষ্টিভঙ্গী যে কিছুদূৰ আওকনীয়া ধৰণৰ সেই কথা নিশ্চয় অস্বীকাৰ কৰিব নোৱাৰি। এই সন্দৰ্ভত সেই উপত্যকাৰ এগৰাকী বিচক্ষণ পণ্ডিতৰ কথা মই বিশেষভাবে উল্লেখ কৰিব খুজিছোঁ সেই পণ্ডিত গৰাকী হ'ল ৰাজমোহন নাথ— অসম বুৰঞ্জী, সংস্কৃতি, সাহিত্য আদি বিবিধ ক্ষেত্ৰত যাৰ অৱদানক এক কথাত অসামান্য বুলি কব পাৰি মই পৰিতাপেৰে সৈতে লক্ষ্য কৰিছোঁ যে সেই ৰাজমোহন নাথৰ অৱদানে আমাৰ পৰা প্ৰাপ্য স্বীকৃতি আৰু মৰ্যাদা পোৱা নাই।

আন প্ৰসংঙ্গলৈ যোৱাৰ আগতে থলুৱা উপভাষাৰ সামুহিক গুৰত্বৰ আন দুটা দিশলৈ আঙুলিয়াব খুজেছোঁ। প্ৰথম, লোক-সাহিত্যৰ সমলৰ বাহক মান্য 'সাধু' ভাষা নহয়— বিভিন্ন থলুৱা উপভাষাহে। অসমীয়া ভাষাৰ লোক-সাহিত্যৰ পৰিমাণ গত আৰু বৈচিত্ৰগত যি ঐশ্বৰ্যক লৈ আমি গৌৰৱ কৰোঁ, সেয়া অঞ্চলগত আৰু গোষ্ঠীগত সকলো উপভাষাৰ সমলৰ ওপৰতহে প্ৰতিষ্ঠিত।

বহু সময়ত লিখিত সাহিত্যৰ ক্ষেত্ৰতো থলুৱা উপভাষাই বিশেষ ভূমিকা পালন কৰে। বিশেষকৈ গল্প, উপন্যাস আদি কাহিনীপ্ৰধান সৃষ্টি যেতিয়া কোনো বিশেষ অঞ্চল বা গোষ্ঠীক কেন্দ্ৰ কৰি গঢ় লৈ উঠে তেতিয়া চৰিত্ৰ সমূহৰ মুখৰ সংলাপত সংশ্লিষ্ট আঞ্চলিক বা গোষ্ঠীগত উপভাষাৰ প্ৰয়োগে কাহিনীক জীবন্ত কৰি তোলাত সহায় কৰে। উদাহৰণ স্বৰূপে ড° মামনি ৰয়চম গোস্বামীৰ দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত দক্ষিণ কামৰূপৰ থলুৱা উপভাষাৰ, শীলভদ্ৰৰ সৰহভাগ গল্প, উপন্যাসত গৌৰীপুৰ অঞ্চলৰ থলুৱা উপভাষাৰ আৰু নিৰুপমা ৰৰগোহাঞিৰ কিছুমান ৰচনাত উত্তৰ কামৰূপৰ থলুৱা উপভাষাৰ সাৰ্থক প্ৰয়োগৰ কথা কব পাৰি। মগৰীবৰ আজান আৰু অন্যান্য নাটকতো গোষ্ঠীগত আৰু অঞ্চলগত উপভাষাৰ সাৰ্থক প্ৰয়োগৰ উদাহৰণ পোৱা যায়।

* * * * * *

সৃষ্টিমূলক অভিব্যক্তি হিচাপে সাহিত্য নিঃসন্দেহে এবিধ সুকুমাৰ কলা আৰু সেই সূত্ৰে অন্যান্য কলা মাধ্যমৰ লগত সাহিত্যৰ সম্পৰ্ক চৰিত্ৰগত। তাৰ ভিতৰত বিশেষকৈ সংগীত আৰু নাটকৰ লগত সাহিত্যৰ সম্পৰ্ক ওতঃপ্ৰোত উদাহৰণ স্বৰূপে গীত বা অন্যান্য গেয় সমলৰ কথা লব পাৰি। গীতিকবিতা সাহিত্যৰ এটা বিশেষ শ্ৰেণী কিন্তু একোটি গীতি কবিতা 'গান' হৈ উঠে সংগীতৰ সুৰ-তাল-লয়ৰ সংযোগত। মন কৰিবলগীয়া কথা যে শংকৰ-মাধৱৰ কীৰ্ত্তন ঘোষা, নামঘোকে আদি কবি আমাৰ পুৰণি সাহিত্যৰ বৃহৎ অংশ গেয় ৰূপত পৰিবেশিত হবৰ বাবেহে ৰচিত— সেয়েহে সংগীতৰ লগত এই সমল সমূহৰ সম্পৰ্ক অঙ্গাঙ্গী। আমাৰ লোক-সাহিত্যৰ বিভিন্ন সমলৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য । সেইদৰে নাট্যকলা হৈছে পৰিবেশ্য কলাৰ এক বিশেষ বিভাগ। কিন্তু নাট্যকলাৰ যি অৱলম্বন সি হ'ল নাটক। নাটকৰ মূল ভিত্তিও সাহিত্যই। প্ৰাচীন ভাৰতীয় বিচাৰত সকলো সাহিত্যকে কাব্যৰ অভিধাৰে সামৰা হৈছিল। সেই অনুসৰি নাটককো কাব্যৰ শ্ৰেণীত ধৰা হৈছিল আৰু তাক বোলা হৈছিল দৃশ্য কাব্য। সেয়েহে মঞ্চত উপস্থাপিত নাটক পৰিবেশ্য কলা ৰূপে গণ্য হলেও নাটকে সাহিত্য কলাৰো প্ৰতিনিধিত্ব কৰে। গ্ৰীক, সংস্কৃত, ইংৰাজী আদি ভাষাৰ শ্ৰেষ্ঠ সাহিত্য সম্পদৰ ভিতৰত নাটকৰ স্থান কিমান গুৰুত্বপূৰ্ণ সেয়া সাহিত্যৰ বুৰঞ্জী ভু ৰাখোতা সকলৰ অবিদিত নহয়। প্ৰত্যক্ষ ভাবে নহলেও চিত্ৰ, স্থাপত্য, ভাস্কৰ্য আদি দৃষ্ট গ্ৰাহ্য কলাৰ লগতো সাহিত্যৰ সম্পৰ্ক আছে। এই কলাসমূহক বিষয়বস্তু হিচাপে লৈ বিভিন্ন ভাষাত ৰচিত হৈছে বিভিন্ন গ্ৰন্থাদি। অসমীয়া ভাষাত ৰচিত শ্ৰীহস্তমুক্তাবলীৰ বিষয়বস্তু হ'ল নৃত্য-কলা আৰু চাংকৰ যুকলৰ বুৰঞ্জীৰ বিষয়বস্তু হ'ল স্থাপত্য বিদ্যা। আনহাতে চিত্ৰভাগৱত, হস্তীবিদাৰ্ণৱ, গীত-গোবিন্দ, ৰাঙলী কীৰ্ত্তন আদি সচিত্ৰ পুথিৰোৱত চিত্ৰকলাই অলংকৰণ ৰূপে সাহিত্য কৰ্মৰ শোভাবৰ্দ্ধন কৰিছে।

আকৌ জ্ঞান-বিজ্ঞানৰ বিভিন্ন বিষয়ৰ ওপৰত আধাৰিত ৰচনাকো সাহিত্যৰ ব্যাপকভাৱ পৰিসৰৰ ভিতৰত পেলাব পাৰি— যিহেতু তেনেবোৰ ৰচনাই মানুহৰ বৌদ্ধিক আৰু আনুভূতিক উত্তৰণৰ পথ প্ৰশস্ত কৰে। উদাহৰণস্বৰূপে বিজ্ঞানৰ কথাই ল'ব পাৰি। বিজ্ঞান-ভিত্তিক কল্প-কাহিনী (Science fiction) আধুনিক সাহিত্যৰ এটা স্বতন্ত্ৰ শ্ৰেণী হিচাপেই ইতিমধ্যে প্ৰতিষ্ঠিত হৈছেই। তাৰ উপৰি বিজ্ঞানৰ বিভিন্ন বিষয়ক লৈ ৰচিত গ্ৰন্থ বা প্ৰবন্ধপাতিকো বিজ্ঞান সাহিত্য বুলি চিহ্নিত কৰা হৈ আহিছে। ১৯৩৩ চনত লখিমপুৰত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ সভাপতি জ্ঞানদাভিৰাম বৰুৱাই তেওঁৰ অভিভাষণত সাহিত্যৰ প্ৰতি উদাৰ দৃষ্টি ভঙ্গীলৈ এইদৰে আহ্বান জনাইছিল: "যি বিদ্যাই জ্ঞান বঢ়াই মানুহক এজাৰৰ পৰা গোহৰলৈ লৈ যায় সি সকলোৱেই সাহিত্য। .... যদি আমি দেশৰ, ভাষাৰ, সাহিত্যৰ, জাতিৰ উপকাৰ সাধন কৰিব খোজোঁ, তেনেহলে নিজৰ নিজৰ যিখিনি কাম আছে সেইখিনি কৰি যেন এইসকল কামৰ নিমিত্তেও প্ৰতিদিন অলপ সময় দিওঁ।" প্ৰসঙ্গত : উল্লেখযোগ্য যে এই স্থিতি অসম সাহিত্য সভাৰ ঘোষিত উদ্দেশ্যেৰে সৈতেও সংগতিপূৰ্ণ।

বোধকৰোঁ এইখিনিতে উল্লেখ কৰাটো অপ্ৰাসঙ্গিক নহব যে পোনপটীয়াকৈ ভাষা-সাহিত্যৰ লগত সম্পৰ্ক নথকা আন আন বিদ্যায়তনিক ক্ষেত্ৰতো সাহিত্য সভাই নিজকে জড়িত কৰাটো এটা সময়ত অতি প্ৰয়োজনীয় আছিল। সভাৰ প্ৰতিষ্ঠান কালৰে পৰা আৰম্ভ কৰি ভালেমান দিনলৈ অসমত কোনো বিশ্ববিদ্যালয় নাছিল, নাছিল আন আন বিশেষীকৃত (specialised) অনুষ্ঠান-প্ৰতিষ্ঠান যাৰ কাৰণে সাহিত্য সভাই নিজাববীয়াকৈ এইবোৰৰ দায়িত্ব লব লগা হৈছিল। কিন্তু ইতিমধ্যে কেইবাখনো বিশ্ববিদ্যালয়ৰ উপৰি স্থাপিত হৈছে বাজ্যিক সংগ্ৰহালয়, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, সংগীত মহাবিদ্যালয়, চাৰু আৰু কাৰুকলা মহাবিদ্যালয়, প্ৰকাশন পৰিষদ, আনন্দ ৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আদিৰ দৰে অনুষ্ঠান প্ৰতিষ্ঠান। অধ্যয়ন, গৱেষণা, প্ৰকাশন আদিৰ দিশত এই নিকায়সমূহ সক্ৰিয় হৈ উঠাত সংশ্লিষ্ট ক্ষেত্ৰসমূহত সাহিত্য সভাৰ প্ৰত্যক্ষ দায়িত্বৰ গুৰুত্ব আগৰ নিচিনা হৈ থকা নাই। ৰৰং এতিয়া সভাই এই সকলোবোৰৰ লগত উপযুক্ত ধৰণে সংযোগ স্থাপন কৰি সহযোগ আৰু সমন্বয়ৰ ভিত্তিত সামূহিক শ্ৰীবৃদ্ধিৰ বাবে পদক্ষেপ লোৱাতো অধিক বাস্তবসম্মত আৰু ফলপ্ৰসূ হব পাৰে বুলি ধাৰণা হয়।

* * * * * *

ইমানপৰে যিবোৰ প্ৰসঙ্গক লৈ আলোচনা কৰা হ'ল সেই সকলোৰে অসমৰ ভাষা-সাহিত্য আৰু সংস্কৃতিৰ প্ৰত্যক্ষ ভাবে সম্পৰ্ক আছে আৰু সেইবোৰ অসম সাহিত্য সভাৰ ঘোষিত উদ্দেশ্য সমূহৰ পৰিসৰৰ অন্তৰ্ভুক্ত। অৱশ্যে এই প্ৰসঙ্গবোৰ আমাৰ সমাজ জীৱনৰ অন্যান্য বিভিন্ন দিশৰ লগতো ঘনিষ্ঠভাবে সাঙোৰ খাই আছে; অৰ্থাৎ এই প্ৰসঙ্গবোৰৰ তাৎপৰ্য মূলতঃ সাংস্কৃতিক যদিও তাৰ লগে লগে সমাজ তাত্ত্বিকো। ওপৰৰ আলোচনা খিনিৰ নানা ঠাইত প্ৰতিফলন ঘটিছে।

ভাষা-সাহিত্য-সংস্কৃতিৰ লগত জড়িত ক্ষেত্ৰসমূহত অসম সাহিত্য সভাৰ কৰণীয় সদায় থাকিব—এয়া দেখ্ দেখ্ কথা। যিহেতু এই বিশেষ ক্ষেত্ৰবোৰত বিবাজ কৰা বা উদ্ভৱ হোৱা পৰিস্থিতিয়ে সমাজ জীৱনতো অনিবাৰ্যভাবে প্ৰভাব পেলায়, সেয়েহে সেই দিশটো সাহিত্য সভাৰ দায়িত্বৰ কথা আহি পৰে, প্ৰত্যক্ষভাবে নহলেও অন্ততঃ পৰোক্ষ ভাবে।

অসম সাহিত্য সভা অসমৰ জনসাধাৰণৰ বৃহত্তম আৰু সৰ্বাধিক জনপ্ৰিয় সামূহিক অনুষ্ঠান হোৱা গুণে ইয়াৰ পৰা বিভিন্ন শ্ৰেণীৰ বাইজৰ প্ৰত্যাশাও অত্যন্ত বেছি। ভাষা-সাহিত্য আৰু সংস্কৃতিৰ লগত প্ৰত্যক্ষ সম্পৰ্ক থকা বিষয়বোৰত অসমৰ বাইজে সাহিত্য সভাৰ পৰা কাণ্ডাৰীৰ ভূমিকা প্ৰত্যাশা কৰাতো অত্যন্ত স্বাভাবিক আৰু যুক্তিসঙ্গত। কিন্তু মাজে মাজে উল্লিখিত পৰিসৰৰ ভিতৰত নপৰা বিষয় লৈও সাহিত্য সভা প্ৰত্যক্ষভাবে জড়িত হোৱাতো বিচৰা হয় আৰু পৰিস্থিতিয়ে তাগিদাও হয়তো তেনে কৰিব লগাও হয় — যদিও তাৰ যুক্তি-যুক্ততা সদায় সকলোৰে বাবে গ্ৰহণযোগ্য নহব পাৰে। কেতিয়াবা কেতিয়াবা এনেবোৰ প্ৰশ্নক লৈ যি ধৰণৰ বিতৰ্কৰ সৃষ্টি হৈছে সি সাহিত্য সভাৰ ভাবমূৰ্তিৰ বাবে বৰ সন্তোষজনক হোৱা বুলি কব নোৱাৰি।

আমি প্ৰথমতে সাহিত্য সভাৰ উদ্দেশ্যৰ লগত প্ৰত্যক্ষভাবে সংগতিপূৰ্ণ ভাষা-সাহিত্য আৰু সংস্কৃতিৰ দিশটোত সভাৰ ভূমিকাৰ কথা লওহক।

ইয়াৰ আগতে মই নিজে অসম সাহিত্য সভাৰ ভিতৰ চৰাত থকা নাছিলো। ভাষা সাহিত্য সংস্কৃতিৰ বিষয়ে এজন আগ্ৰহী আৰু সচেতন ব্যক্তি হিচাপে অৱশ্যে উল্লিখিত দিশবোৰত সাহিত্য সভাই কৰা আৰু কৰিব পৰা বা কৰিব লগা কামৰ বিষয়ে

যিদবে নিজে চিন্তা কৰিছোঁ, সেইদবে আনৰ লগত মতবিনিময় কৰিছোঁ, সমালোচনাও কৰিছোঁ। সাহিত্য সভাৰ ভিতৰত নাথাকিও ইয়াৰ কৰ্মতৎপৰতা সম্পৰ্কে কৌতুহলী মোৰ দবে আন বহুতবে মত এনে ধৰণৰ : সাহিত্য সভাই কৰা কাম সদায় সন্তোষজনক নহলেও এইটো ঠিক যে সভাৰ উদ্যোগত ভালেখিনি উল্লেখযোগ্য কাম সম্পন্ন কৰা হৈছে; যেনে, সভাৰ উদ্দেশ্য সমূহৰ লগত সংগতি ৰাখি অসমীয়া ভাষা সাহিত্যৰ যিবোৰ দিশত অভাব আছিল বা আছে সেইবোৰ চিহ্নিত কৰা হৈছে; সেই অভাববোৰ পূৰণকৰিবৰ বাবে নীতি আৰু আঁচনি গ্ৰহণ কৰা হৈছে। নতুন পৰিস্থিতিৰ লগত খাপ খোৱা কৈ সভাৰ কাৰ্য তৎপৰতাৰ পৰিসৰ বৃদ্ধিৰ প্ৰচেষ্টা চলোৱা হৈছে। কিন্তু কাৰ্যক্ষেত্ৰত দেখা গৈছে যে সদায় কাঙ্খিত লক্ষ্যত উপনীত হ'ব পৰা হোৱা নাই। মোৰ বিবেচনাবে ইয়াৰ প্ৰধান কাৰণ দুটা। প্ৰথম, সাহিত্য সভাই হাতত লোৱা কামবোৰত প্ৰায়েই ধাৰাবাহিকতা ৰক্ষিত হোৱা নাই। আৰু দ্বিতীয়, সভাই কেতিয়াবা এনে কিছুমান নীতি আৰু তৎসলগ্ন পদক্ষেপ গ্ৰহণ কৰিছে যিবোৰে জটিলতাৰ সৃষ্টি কৰিছে।

সভাৰ কামৰ ধাৰাবহিকতা ৰক্ষাৰ প্ৰসঙ্গত ব্যক্তিগত অভিজ্ঞতাৰ সূত্ৰ ধৰি মই মোৰ বক্তব্য পৰিষ্কাৰ কৰিব খুজিছোঁ।

সাহিত্য সভাৰ সাংগঠনিক পৰিসৰৰ ভিতৰত নাথাকিও সভাৰ বিভিন্ন বিদ্যায়তনিক কামত মই আগ্ৰহেৰে সহযোগ কৰি আহিছোঁ। ১৯৭০- ৰ দশকৰ আৰম্ভণিতে সভাই এনে এক আঁচনি গ্ৰহণ কৰিছিল যাৰ অধীনত পৰ্যায় ক্ৰমে এখন এখনকৈ অসমৰ প্ৰতিখন জিলাৰ লোক-গীতৰ সংগ্ৰহ প্ৰকাশ কৰি যোৱাৰ কথা আছিল। আৰম্ভ কৰা হৈছিলতেতিয়াৰ অবিভক্ত গোৱালপৰা জিলাৰ পৰা আৰু সংশ্লিষ্ট সংগ্ৰহটো প্ৰস্তুত কৰাৰ ভাৰ মোৰ ওপৰত ন্যস্ত হৈছিল। মোৰ দ্বাৰা সংকলিত আৰু সম্পাদিত গোৱালপৰীয়া লোকগীত পুথিখন সভাই প্ৰকাশ কৰে ১৯৭৪ চনত। তাৰ পিচতেই ড° হেমন্ত কুমাৰ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত হৈ ওলায় তেতিয়াৰ অবিভক্ত কামৰূপ জিলাক সামৰা কামৰূপী লোকগীত সংগ্ৰহ (১৯৭৮) । কিন্তু আঁচনি খনৰ কাম তাতেই থমকি ৰ'ল। সেয়া চলিথকা হলে অসমৰ সকলোবোৰ জিলাৰ লোকগীতৰ প্ৰতিনিধিত্বমূলক সংগ্ৰহ অসমৰ বাইজে পালেহেতেন। ১৯৭৬ চনত যজ্ঞেশ্বৰ শৰ্মাদেৱৰ সভাপতিত্বৰ কালছোৱাত হাতত লোৱা হৈছিল ৰসজ্ঞ পণ্ডিত গৰাকীয়ে প্ৰস্তুত কৰা এক সুন্দৰ বিদ্যায়তনিক মূল্যযুক্ত পৰিকল্পনা— বিশ্ব ভাৰতীৰ 'লোকশিক্ষা গ্ৰন্থমালা' আৰু 'বিশ্ববিদ্যা সংগ্ৰহ'ৰ আৰ্হিত বিভিন্ন বিষয় সামৰি 'পৰিচয় গ্ৰন্থমালা' নামৰ এশাৰী নিৰ্ভৰযোগ্য গ্ৰন্থৰ প্ৰকাশ। সেই পৰিকল্পনা অনুসৰি প্ৰকাশিত হৈছিল পাঁচখন সৰু সৰু পুথি : ধ্বনি আৰু ৰসতত্ত্ব (লেখক ড° মুকুন্দ মাধব শৰ্মা), নৃতত্ত্বৰ চমু আভাস (লেখক ড° ভুবন মোহন দাস), চিকিৎসাবিজ্ঞানৰ ইতিহাস (ড° মথুৰা নাথ ভট্টাচাৰ্য), চাহৰ কথা (লেখক ড° দীননাথ বৰুৱা) আৰু অসমীয়া সংগীতৰ ঐতিহ্য, যিখন যজ্ঞেশ্বৰ শৰ্মাছাৰৰ প্ৰেৰণাদায়ক নিৰ্দেশত মই যুগুত কৰি দিছিলো। পৰিতাপৰ কথা সেই সুন্দৰ পৰিকল্পনাবো তাতেই যতি পৰিল। উল্লিখিত দুয়োখন আঁচনিৰ কাম আগবাঢ়ি গৈ থকা হ'লে আমাৰ ভাষা-সাহিত্যৰ ভঁৰালযে ভালেখিনি চহকী হ'লহেতেন তাত সন্দেহ নাই। এয়া দুটা উদাহৰণ মাত্ৰ— এনেকুৱা অধিক উদাহৰণ দাঙি ধৰিব পাৰি। মই দাঙি ধৰিব খোজা তৃতীয়টো উদাহৰণ অতি সাম্প্ৰতিক সময়ৰ : সেয়া হ'ল অসমীয়া ভাষাত বিশ্বকোষ প্ৰণয়ন আৰু প্ৰকাশৰ প্ৰকল্প। সাহিত্য সভাৰ এই বিশেষ অভিলাসী প্ৰকল্পটোৰ লগত জড়িত হোৱাৰ সৌভাগ্যও মোৰ হৈছে। মাত্ৰ দুটা বছৰৰ ভিতৰত নানা বাধা-বিপত্তি আৰু ত্ৰুটি বিচ্যুতি স্বত্বেও বিজ্ঞান আৰু সাহিত্যৰ ক্ষেত্ৰ সামৰি বিশ্বকোষৰ পাঁচোটা খণ্ড বাইজৰ হাতত তুলি দিব পৰাকৈ সাজু হৈ উঠাটোক অসম সাহিত্য সভাৰ এক উল্লেখযোগ্য সাফল্য বুলি মানি লোৱাত নিশ্চয় বাধা নাই। (এইখিনিতে উনুকিয়াব পাৰি যে ইয়াৰ আগতে ১৯৮৪ আৰু ১৯৯৩ চনৰ ভিতৰত সাহিত্য সভাই শিশু আৰু কিশোৰৰ উপযোগী বিশ্বকোষ জাতীয় গ্ৰন্থ পাঁচখণ্ডৰ শিশু জ্ঞানকোষ প্ৰস্তুত কৰি উলিয়াইছিল।) এই বিশ্বকোষ প্ৰকল্পৰ ক্ষেত্ৰতো যিটো অত্যন্ত প্ৰয়োজন সেয়া হৈছে ধাৰাবাহিকতা ৰক্ষা। বিশ্বকোষ প্ৰণয়ন আৰু প্ৰকাশৰ সফল আৰম্ভনি হৈছে : এতিয়া সেইকাম চলি থাকিব লাগিব। অহা কিছুবছৰৰ ভিতৰত জ্ঞান বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰ সামৰি বিশ্বকোষৰ নতুন নতুন খণ্ড প্ৰকাশিত হৈ এই দিশত থকা আমাৰ আভাব পূৰ্ণ কৰিব পৰা যাব— এই উজ্জ্বল সম্ভাবনাই আমাৰ সম্মুখত স্পষ্ট ৰূপত দেখা দিছে। সুখৰ কথা যে ইতিমধ্যে বুৰঞ্জী বিষয়টো সামৰি বিশ্বকোষৰ পৰৱৰ্তী পৰ্যায়ৰ কামৰ শুভাৰম্ভ হৈছে। বিশ্বকোষ প্ৰকল্পক লৈ অসমৰ সকলো শ্ৰেণীৰ বাইজৰ পৰা যি অভূতপূৰ্ব উৎসাহ আৰু সমৰ্থন পৰিলক্ষিত হৈছে সি অত্যন্ত আশাব্যঞ্জক। মোৰ দৃঢ় ধাৰণা, বিশ্বকোষ প্ৰকল্পকে ধৰি সভাই পূৰ্বতে হাতত লোৱা অসম্পূৰ্ণ আঁচনি সমূহৰ কাম যদি পৰ্যায়ক্ৰমে আগুৱাই নিয়াটো সুনিশ্চিত কৰিব পৰা যায় আৰু লগতে সীমিত সংখ্যক সুচিন্তিত, বাস্তবসম্মত আৰু ৰক্ষণযোগ্য (sustainable) নতুন

আঁচনি গ্রহণ কৰি সেইখিনি সুস্থ ভাবে ৰূপায়ন কৰা হয়। সেয়াও আমাৰ বাবে কম প্রাপ্তিৰ কথা নহব।

আমি যি ধাৰাবাহিকত বক্ষাৰ অভাৱৰ কথা কৈছোঁ তাৰ লগত বহুখিনি জড়িত হৈ আছে সভাৰ সাংগঠনিক বিন্যাস আৰু কৰ্ম-পদ্ধতি। সাহিত্য সভাৰ প্রচলিত নিয়ম অনুসৰি পূর্বতে প্রতি বছৰে— আৰু কিছুদিনৰ পৰা দুবছৰৰ মূৰে মূৰে— সভাৰ দায়িত্বলৈ সভাপতি, প্রধান সম্পাদক আৰু অন্যান্য বিষয়ৱৰীয়াক লৈ গঠিত একোটা নতুন 'দল' (ইংৰাজী team অর্থত) আহে। প্রতিবাৰৰ কার্যসূচীত প্রাধান্য পায় নতুন দলে। লোৱা নতুন আঁচনিয়ে : পূর্বৰ আঁচনিসমূহৰ কিছুমানক প্রাথমিকতা হেৰুৱায় আৰু কিছুমানক প্রায় বিসর্জন দিয়া হয়। সাহিত্য সভাৰ এক নিয়মীয়া আৰু স্থায়ী সচিবালয় থাকে ভেন্হেলে নতুন আঁচনিৰ ৰূপায়ণৰ সমান্তৰাল ভাবে পূর্বৰ আঁচনি সমূহৰ কামখিনিক পূর্ণতাৰ দিশত আগবঢ়াই নিয়াতো সম্ভব হ'ব বুলি আশা কৰিব পাৰি। সকলো দিশ চালি-জাৰি চাই সাহিত্য সভাৰ এটা স্থায়ী সচিবালয় স্থাপনৰ উদ্যোগ লোৱাতো সমীচিন হব বুলি মই ভাবো।

জিলা সাহিত্য সভা আৰু শাখা সাহিত্য সভা সমূহৰ সক্রিয়-নিষ্ক্রিয়তা আদিক লৈও প্রায় আলোচনা হোৱা কাণত পৰে। আকৌ অসম সাহিত্য সভাৰ অধিবেশন উপলক্ষে হোৱা মেলামুখী আৰু আৰম্বৰপূণ আয়োজনৰ যুক্তি-যুক্ততাক লৈও নানা মহলত প্রশ্ন উত্থাপিত হৈ থাকে। পিছে এই দুয়োটা দিশতে সাহিত্য সভাৰ বাবে দুটা বিৰাট সম্ভাৱনাময় শক্তি সঞ্চিত হৈ আছে বুলি ভাবিবৰ থল আছে। উপযুক্ত ভাবে কামত লগাব পাৰিলে তাৰ পৰা অকল সাহিত্য সভাৰে নহয় সামূহিক ভাবে অসমৰ সামাজ জীৱনৰো উপকাৰ সাধিত হব পাৰে। সাংগঠনিক ফালৰ পৰা জিলা সাহিত্য সভা আৰু শাখা সাহিত্যসভা সমূহ বিভিন্ন স্তৰত অসম সাহিত্য সভাৰে অংগ। জিলা সাহিত্য সভাসমূহে আঞ্চলিক পর্যায়ত আৰু শাখা সাহিত্য সভাসমূহে তৃণমূল পর্যায়ত সংগঠনটোৰ নীতি আৰু সিদ্ধান্ত সমূহক কার্যকৰী কৰাত অতি গুৰুত্বপূর্ণ ভূমিকা লব পাৰে — আৰু লোৱা উচিত। সেইদৰে অসম সাহিত্য সভাৰ অধিবেশন উপলক্ষে হোৱা বিপুল জনসমাবেশে প্রমাণ দিয়ে সাহিত্য সভাৰ গণভিত্তিৰ— যিটোৱে সভাক নৈতিক মনোবল যোগোৱাত সহায় কৰি আহিছে। এই পৰম্পৰাৰ হঠাৎ অন্ত পেলোৱাতকৈ ইয়াৰ অন্তৰত থকা গণশক্তিক উপযুক্তভাবে কামত খটুওৱাৰ কথা ভাবিব নোৱাৰিনে? গণসমর্থনৰ এই বাং প্রকাশ একধৰণে সাহিত্য সভাৰ চৰিত্রিক বৈশিষ্টত পৰিণত হোৱা যেন লাগে। এই অসংগঠিত আৰু অপ্রযুক্ত শক্তিক সমাজ জীৱনক সমৃদ্ধ কৰাৰ দিশত গতি কৰোৱাৰ বাবে সুসংৰদ্ধ প্রচেষ্টা চলোৱাৰ কথা নিশ্চয় ভাবিব পাৰি।

এতিয়া আহিব খুজিছোঁ সাহিত্য সভাৰ দায়িত্ব আৰু কর্তব্যৰ সেইটো দিশলৈ যিটো ৰ লগত আমাৰ সমাজ জীৱনৰ অন্যান্য প্রসঙ্গবোৰ সাঙোৰ খাই আছে। আমি আগতে উল্লেখ কৰি আহিছো যে এইবোৰ ক্ষেত্রত সাহিত্য সভাৰ দায়িত্বক সদায় প্রত্যক্ষ বা অপৰিহার্য বুলি ধৰি ল'ব নোৱাৰি। যদিও সমাজৰ বিভিন্ন বর্গৰ পৰা প্রায়ে সাহিত্য সভাই এইবোৰতো এক মুখ্য ভূমিকাত অৱতীর্ণ হোৱাতো বিচৰা হয় মোৰ ব্যক্তিগত ধাৰণা, এনেবোৰ ক্ষেত্রত আবেগ আৰু উৎসাহক প্রশ্রয় নিদি যথাসম্ভব সাবধানতাৰে নির্মোহ বিচাৰ বিশ্লেষণৰ ওপৰত ভিত্তি কৰিহে সভাই সিদ্ধান্ত আৰু কার্যপন্থা গ্রহণ কৰা উচিত।

এই সন্দর্ভত মই আগতে উল্লেখ কৰা এটা বিষয়ৰ সূত্র ধৰি কিছু কথা নিবেদন কৰিব খুজিছোঁ। কিছুদিনৰ পৰা অসমৰ সমাজখনৰ ভিতৰত কিছুমান এনে ধৰণৰ ক্রিয়া-প্রতিক্রিয়া চলি আছে যিবোৰে আমাৰ সমাজ-জীৱনত ঐক্য আৰু সংহতিৰ প্রতি ভাবুকিৰ সৃষ্টি কৰা বুলি সচেতন মহলে আশঙ্কা প্রকাশ কৰিছে। এইবোৰৰ ভিতৰত মুখ্য হৈ দেখা দিছে বিভিন্ন জনগোষ্ঠীৰ জাতিসত্তাগত দিশত প্রৱণতা আৰু তৎপৰতা। পিছে এয়া আমাৰ ইয়াতে দেখা দিয়া বিচিত্র পৰিঘটনা নহয়। পৃথিবীৰ নানান দেশ আৰু অঞ্চললৈ চকু দিলে দেখা যাব যে এই প্রৱণতা হৈছে বিশ্বব্যাপী। মনত ৰখা উচিত যে জাতিসত্তাৰ সাব্যস্তকৰণ আৰু জাতিসত্তাগত সংঘাত বা বিভাজন একে কথা নহয়। কোনো গোষ্ঠীয়ে নিজৰ বিশেষ পৰিচয়ৰ বিষয়ে তৎপৰতা অবলম্বন কৰিলে বা নিজৰ গোষ্ঠীগত সাংস্কৃতিক বৈশিষ্ট্যৰ সংৰক্ষণ আৰু উন্নয়নৰ প্রতি মনোযোগ দিলে তাক অৱধাৰিতভাৱে বিভাজন বা বিচ্ছিন্নতাৰ বিপদসংকেত বুলি গণ্য কৰা উচিত বুলি মোৰ মনে নধৰে। ৰবং এনে ধৰণৰ তৎপৰতাৰ উজ্জ্বল দিশটোৰ প্রতি দৃষ্টি ৰাখিব পাৰিলে সি আমাৰ সামূহিক মঙ্গলৰ কাৰক হ'ব পাৰে বুলি মই ব্যক্তিগতভাৱে বিশ্বাস কৰি আহিছো। অসমৰ সমাজ আৰু সংস্কৃতিৰ বৈশিষ্ট্যই হ'ল বৈচিত্র্য আৰু বহুমুখিতা, আৰু তাৰ ওপৰত আধাৰিত সামূহিক ঐশ্বর্য্য। আমাৰ সৰু-ৰ সকলো সম্প্রদায় এই সামূহিক ঐশ্বর্যৰ উত্তৰাধীকাৰী অংশীদাৰ, আৰু তাক লৈ আমি

সকলোৱে গৌৱৱ-বোধ কৰিব পাৰোঁ — আৰু কৰা উচিত । এই অঞ্চলৰ লোক-সংস্কৃতিৰ অধ্যয়নৰ লগত দীৰ্ঘদিন জড়িত থাকি মোৰ এই প্ৰত্যয় জন্মিছে যে ওপৰৰ পৰা চকুত নপৰিলেও আমাৰ এই আপাত-বিভ্ৰান্তিকৰ বৈচিত্ৰ্যৰ মাজেদি বৈ আছে আন্তঃসংযোগৰ স্বচ্ছ ফল্গুধাৰা ।

এই খিনিতে স্বাভাৱিকতে অসম সাহিত্য সভাৰ ভূমিকাৰ প্ৰশ্নটো আহি পৰে । স্বীকাৰ কৰিবই লাগিব যে সাহিত্য সভাই আদৰ্শগতভাৱে আন্তঃগোষ্ঠীয় সম্প্ৰীতি আৰু সংহতি বৰ্ধনৰ নীতি গ্ৰহণ কৰি নানা ধৰণে তাক কাৰ্যকৰী কৰাৰ চেষ্টাও চলাই আহিছে । কিন্তু তৎসত্ত্বেও অসন্তোষ , সন্দেহ আৰু অবিশ্বাসৰ ভাবে মাজে মাজে আৰু ঠায়ে ঠায়ে গা কৰি উঠা দেখা গৈছে । ওপৰত যি উমৈহতীয়া গৌৱৱৰ অধিকাৰী হোৱাৰ ধাৰণাৰ কথা কোৱা হৈছে সেই ধাৰণাক যুক্তি পূৰ্ণভাৱে , বিশ্বাসযোগ্যভাৱে আৰু গ্ৰহণযোগ্যভাৱে আমাৰ সকলো গোষ্ঠীৰ মাজত প্ৰতিষ্ঠিত কৰাৰ দিশত সাহিত্য সভাই বাস্তৱসম্মত কাৰ্য্যপন্থা হাতত ল'লে অসন্তোষ, সন্দেহ আৰু অবিশ্বাসৰ কুৱঁলি তৰিব আৰু আমাৰ সামাজিক বাতাৱৰণ পুনৰ মুক্ত আৰু উজ্বল হৈ উঠিব বুলি আশা কৰিব পাৰি ।

* * * * * *

কিছুমান দিশত সভাই কৰিব লগা আৰু কৰিব পৰা কামৰ কিছু আভাস মাত্ৰ দিয়া হ'ল । সভাৰ কৰ্তব্য আৰু দায়িত্ব যে বুজন পৰিমাণৰ আৰু গধুৰ ধৰণৰ তাক আমি সকলোৱে উপলব্ধি কৰোঁ । সেইবোৰ যথাযথ ভাৱে সম্পন্ন কৰিবৰ বাবে অকল সভাৰ লগত জড়িত থকা সকলৰ আগ্ৰহ আৰু ঐকান্তিকতাই যথেষ্ট নহয় — তাৰ বাবে প্ৰয়োজন সকলো মহলৰ সদিচ্ছা আৰু সমৰ্থনৰ । নৈতিক সমৰ্থন অৱশ্যেই অপৰিহাৰ্য কিন্তু তাৰ লগে লগে বৈষয়িক সমৰ্থনো থাকিব লাগিব । সভাৰ সুবিবেচিত নীতি আৰু সিদ্ধান্তৰ বাবে জনসাধাৰণৰ নৈতিক সমৰ্থনৰ অভাৱ কেতিয়াও হোৱা নাই । বিশেষ বিশেষ বিদ্যায়তনিক আঁচনিৰ বাবে ৰাইজৰ পৰা আৰু অনুষ্ঠান - প্ৰতিষ্ঠানৰ পৰা কি দৰে আৰ্থিক সমৰ্থন পোৱা যাব পাৰে সেয়া সম্প্ৰতি চলি থকা বিশ্বকোষ প্ৰকল্পৰ ক্ষেত্ৰত সুন্দৰভাৱে প্ৰমাণিত হৈছে । কিন্তু এইটো ঠিক যে অকল তদৰ্থ ধৰণৰ অৰ্থ - সংগ্ৰহৰ দ্বাৰা সভাৰ সকলো কাম চলিব নোৱাৰে । সাংগঠনিক আৰু অন্যান্য আৱশ্যকীয় নিয়মীয়া কাম-কাজ ভালদৰে চলাবলৈ সভাৰ বাবে পৰ্য্যাপ্ত পুঁজিৰ নিয়মীয়া যোগান নিশ্চিত হোৱাটো অত্যন্ত জৰুৰী ।

আমি যি নৈতিক আৰু বৈষয়িক সমৰ্থনৰ কথা কৈ আছোঁ তাত চৰকাৰৰ ভূমিকাৰ দিশটোও আহি পৰে । অসম সাহিত্য সভাৰ দৰে ৰাইজৰ সৰ্ববৃহৎ প্ৰতিনিধিত্বমূলক অনুষ্ঠানৰ প্ৰতি চৰকাৰে উভয় ধৰণৰ সমৰ্থন আগবঢ়াব — এইটো স্বতঃসিদ্ধ কথা বুলিয়েই মই বিবেচনা কৰোঁ । চৰকাৰৰ পৰা সাহিত্য সভাই সমৰ্থন পোৱা বিষয়টোক কেন্দ্ৰ কৰি মাজে মাজে বিতৰ্কৰ বতাহ বলাটো আমি দেখিবলৈ পাঁও । বহুতে ইয়াৰ মাজত ৰাজনীতিৰ গোন্ধো পায় বুলি ধাৰণা হয় ।

মই কেতিয়াও দলীয় ৰাজনীতিৰ লগত নিজকে যুক্ত কৰা নাই । কিন্তু সেই বুলি ৰাজনীতিৰ নামত উচপ খাই উঠাসকলৰ শাৰীত মই নিজকে নেপেলাওঁ । ৰাজনীতি বিজ্ঞানৰ অধ্যয়ন-অধ্যাপনাৰ সুদীৰ্ঘ অভিজ্ঞতাই মোক এই উপলব্ধি দিছে যে গণতান্ত্ৰিক পদ্ধতিত ৰাজনৈতিক দল অপৰিহাৰ্য্য , আৰু কোনো এটা বিশেষ সময়ত এটা বা একাধিক দলৰ সদস্যক লৈ চৰকাৰ গঠিত হয় । চৰকাৰৰ সদস্যসকল যি দলৰেই নহওক কিয়,লেই চৰকাৰে সেইটো বিশেষ সময়ত ৰাইজৰেই প্ৰতিনিধিত্ব কৰে । তেনে স্থলত চৰকাৰৰ লগত সম্পৰ্ক থকাটোকেই ৰাজনৈতিক দলৰ লগত সম্পৰ্ক স্থাপন বুলি ধৰি লোৱাৰ কাৰণ নাই । অসম সাহিত্য সভাৰ দৰে সম্মানিত সামাজিক সাংস্কৃতিক অনুষ্ঠানক চৰকাৰে সমৰ্থন নিদিয়াটোহে গণতান্ত্ৰিক প্ৰণালীৰ লগত সঙ্গতিহীন কথা হ'ব । এনে ক্ষেত্ৰত চৰকাৰী অনুদান আদি ৰাজ-অনুগ্ৰহ বুলি নহয়, প্ৰশাসনিক দায়িত্ব - পালন বুলিহে গণ্য হোৱা উচিত । অৱশ্যে এইটো ঠিক যে সাহিত্য সভাই নিজৰ অৰাজনৈতিক চৰিত্ৰ বজাই ৰাখিব লাগিব অৰ্থাৎ নিজকে ৰাজনীতিৰ মেৰ - পাকৰ পৰা আঁতৰাই ৰাখিব লাগিব । সাহিত্য সভাৰ সকলো কামত স্বচ্ছতা আৰু মুক্ততা ৰক্ষিত হ'ব লাগিব — সি চৰকাৰৰ লগত সম্পৰ্কৰ বিষয়তেই হওক বা আন ধৰণৰ লেন-দেনৰ বিষয়তেই হওক ।

ৰাজনীতিৰ প্ৰসঙ্গটোক লৈ আন এটা কথাৰ অৱতাৰণা কৰিব খুজিছোঁ । সাহিত্যৰ লগত ৰাজনৈতিক ব্যক্তি আৰু ৰাজনৈতিক বিষয়ৰ ৰাহি জোৰা নাহে—এইটো সঁচা নহয়। ৰাজনৈতিক ব্যক্তি সাহিত্য-সঙ্গীত -নাট্য আদিৰ লগত ঘনিষ্ঠভাৱে যুক্ত থকাৰ উদাহৰণ আমাৰ অসমতেই প্ৰচুৰ । সক্ৰিয় ৰাজনীতিত থাকিও তৰণৰাম ফুকন, নবীনচন্দ্ৰ ৰৰদলৈ, গোপীনাথ ৰৰদলৈ,

বিষ্ণুপ্রসাদ বাভা, লক্ষ্যধৰ চৌধুৰী আদিসকলে আমাৰ সাহিত্য-সংগীত-নাট্য জগতলৈ দি যোৱা অৱদানৰ কথা কোনে অস্বীকাৰ কৰিব? জ্যোতিপ্রসাদৰ কথা নকলোঁৱেই বা। আনহাতে, ৰাজনৈতিক বিষয়ক লৈ হোৱা উচ্চ মানৰ সাহিত্য সৃষ্টিৰ নিদর্শনৰো অভাৱ নাই। অসমীয়া সাহিত্যত কেণুধৰ শর্মাৰ কংগ্রেছৰ কাঁচিয়ালি ৰ'দত, মহম্মদ তৈয়বুল্লাৰ কাৰাগাৰৰ চিঠি আদিৰ উপৰিও মণিৰাম দেৱান, পিয়লি ফুকন আদি জাতীয় ৰীৰসকলৰ কীর্তি বিষয়-বস্তু হিচাপে লৈ ৰচিত কিছুমান নাটকলৈকো এই ক্ষেত্রত আঙুলিয়াৰ পাৰি। আনকি ইয়াকইঙ্গম আৰু মৃত্যুঞ্জয়ৰ দৰে উপন্যাসবো ভিত্তি ৰাজনৈতিক ঘটনাৱলীহে। ইংৰাজী সাহিত্যৰ পৰা এটা উদাহৰণ দিলেই যথেষ্ট হ'ব: বিচক্ষণ ৰাজনীতিবিদ ছাৰ উইলটন চার্চিলে তেওঁৰ ঐতিহাসিক লিখনিৰ বাবে ১৯৫৩ চনত সাহিত্যৰ নোবেল বঁটা পাইছিল সেইখিনিৰ ৰাজনৈতিক চৰিত্র সন্দেহাতীত।

* * * * * *

আমি কিছু আগতে আমাৰ এই ফালৰে পশ্চিমৰ বতাহ বলাৰ কথা উলিয়াইছিলোঁ আৰু আঙুলিয়াইছিলো যে এই বতাহ বহু আগতেই ৰ'বলৈ আৰম্ভ কৰিছিল। প্রকৃততে ব্রিটিছ ঔপনিবেশিক শাসনে প্রৱর্তন কৰা শিক্ষা-ব্যৱস্থাৰ মাজেদিয়েই ইয়াৰ আৰম্ভণি হৈছিল। নিজৰ প্রশাসনিক স্বার্থত ব্রিটিছ শাসকসকলে ভাৰতীয়সকলৰ কাৰণে যি শিক্ষা - নীতি গ্রহণ কৰিছিল সি আছিল ইংৰাজী ভাষা কেন্দ্রিক আৰু পাশ্চাত্য জীৱনাদর্শমুখী। এই ব্যৱস্থাৰ মাজেদি সৰকি যিসকলভাৰতীয় 'শিক্ষিত' হৈ ওলাইছিল সেইসকলৰ, বিশেষকৈ প্রশাসনিক আৰু বাণিজ্যিক প্রতিষ্ঠানত বিষয়া-কর্মচাৰী হিচাপে নিযুক্ত হোৱা সকলৰ, ইংৰাজী প্রীতি আৰু ইংৰাজী নির্ভৰতা আছিল প্রায় অৱশ্যম্ভাৱী। তাৰ লগে লগে এই লোকসকলে নিজৰ নিজৰ কর্ম-জীৱনত 'ওপৰৱালা'ৰ সন্তুষ্টিৰ খাতিৰত তেওঁলোকৰ দ্বাৰা নির্দেশিত পাশ্চাত্য আচাৰ-আচৰণক মান্যতা দিছিল বা দিবলগীয়া হৈছিল। অৱশ্যে সেই সময়ত যিহেতু শিক্ষাৰ সুযোগ আছিল অত্যন্ত সীমিত আৰু সিও আছিল মূলতঃ নগৰকেন্দ্রিক, সেয়েহে শিক্ষিত সকলৰ এই পৰম্পৰা বিচ্ছিন্ন ধৰণ-কৰণে সামগ্রিকভাৱে আমাৰ সমাজ সংস্কৃতিৰ ওপৰত বিৰূপ প্রভাৱ পেলাব পৰা নাছিল। স্বাধীনতাৰ পিছত অৱস্থাৰ সলনি হ'ল; প্রথমিক আৰু মাধ্যমিক স্তৰৰ উপৰিও উচ্চ শিক্ষাৰ সুযোগো গাওঁ - ভূঁই সকলোতে সহজলভ্য হৈ আহিল। কিন্তু আমাৰ শিক্ষা ব্যৱস্থাৰ আদর্শগত বা উদ্দেশ্যগত কোনো মৌলিক পৰিৱর্তন সাধিত নহ'ল। দুই-এটা বিক্ষিপ্ত ধৰণৰ সংস্কাৰৰ প্রয়াসৰ বাহিৰে আমাৰ শিক্ষা-নীতি আৰু তাৰ লগত জড়িত পদ্ধতি প্রকৰণ প্রায় একেই থাকিল।

সাম্প্রতিক কালত আমাৰ সমাজৰ ইংৰাজী -নির্ভৰতা আৰু পাশ্চাত্য -ভঙ্গী -প্রীতি ক্রমাৎ বৃদ্ধি পাইছে। ইংৰাজী মাধ্যমৰ নতুন 'সাজ'ৰ বিদ্যালয় (তাৰ সৰহভাগেই পাবত গজা ভঙ্গী-সর্বস্ব প্রতিষ্ঠান) আনকি গাৱঁে-ভূঞেঁ নিশাটোৰ তিতৰতে কাঠফুলাৰ দৰে গজি উঠিছে। ইংৰাজী মাধ্যমৰ 'নামী-দামী' বিদ্যালয়ত সন্তানৰ নাম-ভর্তিৰ কাৰণে অভিভাৱকসকলে কৰা ঠেলা - হেঁচাই পৰিস্থিতিটোৰ সুন্দৰ আভাস দিয়ে।

স্বাধীনতাৰ পূর্বৰ শিক্ষা - গ্রহণৰ মাজেদি অহা ইংৰাজী-কেন্দ্রিক পাশ্চাত্য অনুকৰণৰ এটা ব্যাখ্যা অৱশ্যে আছিল: বিদেশী শাসকৰ দ্বাৰা নির্দেশিত পথ অনুসৰণ কৰাৰ বিকল্প তেতিয়া প্রায় নাছিল। (গান্ধী - ৰবীন্দ্রনাথৰ শিক্ষা -আদর্শৰ অনুগামী অনুষ্ঠান-প্রতিষ্ঠানবোৰ আছিল সমুদ্রৰ মাজৰ বিচ্ছিন্ন দ্বীপৰ দৰে।) কিন্তু স্বাধীনতাৰ অর্ধ-শতাব্দীৰ পিছতো ইংৰাজী ভাষা আৰু 'ফৰেইন'-নামক পাশ্চাত্যগন্ধী জীৱন-ধাৰাৰ প্রতি যি নির্বিচাৰ অনুগত্যৰ পয়োভৰ সি কোন অদৃশ্য প্রভুৰ সন্তুষ্টি বিধানৰ কাৰণে হৈছে সেয়া এক দুর্বোধ্য ৰহস্য। বোধকৰোঁ আমি ৰাজনৈতিকভাৱে স্বাধীন হৈছোঁ যদিও আমাৰ মানসিকতা দাসত্বৰ প্রভাৱৰ পৰা এতিয়াও মুক্ত হ'ব পৰা নাই। আগতে যি বতাহ আহিছিল বিদেশী শাসকৰ দ্বাৰা বাহিত হৈ, সিয়েই এতিয়া মুক্তভাৱে আহি আছে 'আধুনিকতা'ৰ, 'উন্নয়ন'ৰ, 'প্রগতি'ৰ আৰু শেহতীয়াভাৱে 'গোলকায়ন'ৰ মোহনীয় বিজ্ঞাপন হাতে হাতে লৈ। ফলত আমাৰ বহুতৰে মাজত পৰম্পৰাগত জীৱন-ধাৰাৰ প্রতি অনীহা, অশ্রদ্ধা আনকি অসহনশীলতাৰ এক মানসিকতাই গা কৰি উঠিছে। এই সংক্রামক প্রৱণতাই আমাৰ উঠি অহা চামত ক্রমে ক্রমে নিজ গৃহভূমিতে মাটিৰ স্পর্শৰ পৰা বিচ্ছিন্ন কৰি আনিছে। তাকে লৈ আমাৰ সচেতন মহল স্বাভাৱিকতে আতঙ্কিত হৈ উঠিছে।

এই নতুন প্রৱণতাৰ লগত পৰোক্ষভাৱে জড়িত হৈ আছে আমাৰ গ্রন্থ-অধ্যয়ন, গ্রন্থ-প্রকাশ আৰু গ্রন্থ-বিক্রীৰ প্রশ্নবোধ। অসমীয়া ভাষাত প্রকাশিত গ্রন্থৰ সংখ্যা ক্রমাৎ বৃদ্ধি পাইছে; লগতে গ্রন্থ-উন্মোচনী অনুষ্ঠানৰ। গ্রন্থ-বিক্রীক লৈও অধিক

তৎপৰতা পৰিলক্ষিত হৈছে। অকল গুৱাহাটী বা অন্যান্য ডাঙৰ চহৰতেই নহয়, গ্ৰাম্যাঞ্চলৰ সৰু সৰু কেন্দ্ৰতো গ্ৰন্থ-মেলা অনুষ্ঠিত হোৱাটো এতিয়া সাধাৰণ কথা হৈ পৰিছে । গ্ৰন্থ-মেলা সংস্কৃতি আৰু গ্ৰন্থ-উন্মোচনী সংস্কৃতি আহিছে ঠিকেই ; কিন্তু প্ৰকৃত অৰ্থত গ্ৰন্থ-সংস্কৃতি আমাৰ মাজত গঢ়ি উঠিছে নে ? গাৱঁৰ কথা বাদেই , আমাৰ চহৰসমূহত ৰাজহুৱা গ্ৰন্থাগাৰৰ সংখ্যা কিমান? আৰু যিখিনি আছে তাতো পাঠুৱৈৰ উপস্থিতি কি ধৰণৰ ? তাৰ উপৰি, আমাৰ চহৰে-নগৰে সুৱা-বিপণিৰ সংখ্যা যি হাৰত বৃদ্ধি পাইছে, তাৰ এক-চতুৰ্থাংশ হাৰতো পুস্তক - বিপণিৰ সংখ্যা বৃদ্ধি পোৱা বুলি আমি ক'ব পৰা হৈছোঁ নে ? দুঃখজনক যদিও সঁচা, এইবোৰে আমাৰ মানসিক দৈন্যৰ ছবি এখনকে দাঙি ধৰে ।

আকৌ , গ্ৰন্থ-মেলাত কিতাপ -বিক্ৰীৰ অভিলেখৰ যি খবৰ কাকতে - পত্ৰই পোৱা যায় , তাত অসমীয়া কিতাপৰ বিক্ৰীৰ কি ধৰণৰ তথ্য সোমাই থাকে ? যিবিলাক কিতাপৰ বিক্ৰীৰ পৰা পোৱা ধনেৰে মুঠ ধনৰ অঙ্কটো ওফন্দি উঠে, সেইবোৰৰ সৰহভাগেই ইংৰাজী ভাষাৰ কিতাপ, সিও আকৌ সাধাৰণতে কাৰিকৰী ধৰণৰ বিষয়ৰ । তাৰ এটা প্ৰধান কাৰণ হ'ল , কিতাপ - কিনোতাসকলৰ এক বৃহৎ অংশ সেইসকল তৰুণ - তৰুণীৰ দ্বাৰা গঠিত যিসকলৰ অসমীয়া ভাষাৰ কিতাপৰ লগত বাহি-যোৱা নাহে । অসমীয়া কিতাপৰ জগতখনৰ কাৰণে ইয়াক আশাব্যঞ্জক বুলি নিশ্চয় ক'ব নোৱাৰি । তাৰ উপৰি , ইলেকট্ৰনিক-গ্ৰন্থৰ আগমনে মুদ্ৰিত গ্ৰন্থৰ অধ্যয়নৰ ওপৰত প্ৰভাৱ পেলোৱাৰ উপক্ৰম দেখা গৈছে । অৱশ্যে তেনে আশঙ্কা অন্ততঃ অদূৰ ভৱিষ্যতত অসমীয়া কিতাপক লৈ কৰিবলগীয়া নাই যেনেই লাগে ।

এয়েই হ'ল পৰিস্থিতিৰ বাস্তৱতা । তাৰ মুখামুখি হ'বৰ বাবে এতিয়াই ৰণ - কৌশলৰ কথা চিন্তা নকৰিলে সময় উকলি যাব পাৰে ।

* * * * * *

অসম সাহিত্য সভাই আৰম্ভণিৰে পৰা অসমৰ ভাষা, সাহিত্য,সংস্কৃতিৰ আৰু লগতে অসমৰ সমাজৰ স্বাৰ্থত আত্মনিয়োগ কৰি আহিছে । যেতিয়াই এই স্বাৰ্থ বিঘ্নিত হোৱাৰ উপক্ৰম হৈছে তেতিয়াই সভাই মাত মাতিছে আৰু প্ৰতিকাৰৰ বিষয়ে যত্নপৰ হৈছে । সকলো ক্ষেত্ৰতে সভাৰ প্ৰচেষ্টা সফল হৈছে নাইবা সভাই গ্ৰহণ কৰা কাৰ্য্য - ব্যৱস্থা নিৰ্ভুল হৈছে এনে দাবী নিশ্চয় কৰিব নোৱাৰি । কিন্তু ৰাইজৰ আশা আকাঙ্খাৰেই প্ৰতিফলন ঘটিছে । আমি আগতেই উল্লেখ কৰাৰ দৰে অসমৰ আপামৰ জনতাৰ অতি হেঁপাহৰ জাতীয় অনুষ্ঠান হোৱা হেতুকে সকলো শ্ৰেণীৰ লোকৰেই সভাৰ পৰা প্ৰচুৰ প্ৰত্যাশা — সকলোৱে আশা কৰে সভাই সঠিক দিকদৰ্শন কৰক , নেতৃত্ব দিয়ক । সভাৰ প্ৰতি আৱেগিক ভাৱে অনুৰক্ত সৰ্বসাধাৰণ ৰাইজৰতো কথাই নাই, আনকি সভাৰ কাৰ্য্য - কলাপক লৈ সাধাৰণতে ব্যস্ত নথকা বুদ্ধিজীৱী সকলেও ইয়াৰ গতি-বিধিৰ ওপৰত তীক্ষ্ন দৃষ্টি ৰাখে আৰু তাত কিবা কেৰোণ লগা যেন পালেই সমালোচনাত সৰব হৈ উঠে । সমালোচনা আগতেও নোহোৱাকৈ থকা নাই ; কিন্তু কিছুদিনৰ পৰা ইয়াক লৈ যিমান বেছি বিতৰ্কৰ সৃষ্টি হৈছে আগতে তেনে হৈছেল বুলি মনে নধৰে । এনে অৱস্থাত সভা যে অত্যন্ত সতৰ্ক হ'ব লাগিব তাত সন্দেহ নাই । সঙ্গতভাৱেই ৰাইজে বিচাৰে অসম সাহিত্য সভাৰ এক উজ্জ্বল ভাৱমূৰ্তি , বিচাৰে গুৰুত্বপূৰ্ণ বিষয়ত সভাৰ পৰিষ্কাৰ ভূমিকা, আৰু ৰিচাৰে নীতিসম্মত সিদ্ধান্তত সভাৰ অবিচলিত স্থিতি।

নকলেও হ'ব যে এই সকলো দিশৰ প্ৰত্যাশা সম্পূৰ্ণৰূপে পূৰণ কৰাটো সহজসাধ্য নহয়— বিশেষকৈ সাম্প্ৰতিক কালত গঢ় লৈ উঠা পৰিস্থিতিত । কিছুদিনৰ পৰা অসমৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনত অতি দ্ৰুত গতিত পৰিৱৰ্তন ঘটি আছে আৰু পৰিস্থিতি ক্ৰমাৎ জটিলৰ পৰা জটিলতৰ হৈ আহিছে । সৃষ্টি হৈছে নতুন নতুন সমস্যাৰ , নতুন নতুন ভাবুকিৰ । এহাতে আছে মূল্যবোধৰ শোচনীয় অৱক্ষয়, হত্যা-লুণ্ঠন-সন্ত্ৰাসৰ বিভীষিকা আৰু দুৰ্নীতিৰ প্ৰকাশ্য আৰু নিৰ্লজ্জ উপস্থিতি । আনহাতে আছে আধুনিকতাৰ নামত —আৰু শেহতীয়াভাৱে অহা বিশ্বায়ন বা গোলকায়নৰ নামত — পৰম্পৰাগত জীৱন-ধাৰাৰ দ্ৰুত অৱমূল্যায়ন । এই সমস্যা আৰু ভাবুকিসমূহৰ ভিতৰত কিছুমানৰ উৎস আমাৰ নিজৰ ভিতৰতে আছে, আৰু সেইবোৰৰ সমাধান আমাৰ আত্ম-অবলোকন,আত্ম-সমালোচনা আৰু আত্ম-প্ৰচেষ্টাৰ মাজেদি আহিব লাগিব । অসম সাহিত্য সভাই এই ক্ষেত্ৰত ধ্বজাবাহীৰ ভূমিকা পালন কৰিব পাৰে । পিছে ভালদৰে বিশ্লেষণ কৰি চালে দেখা যাব যে উল্লিখিত সমস্যা আৰু ভাবুকিবোৰৰ ভিতৰত কিছুমানৰ গুৰি আমাৰ মাটিত নাই, আছে দেশৰ আৰু দেশবো বাহিৰৰ আন আন ঠাইত, য'ৰ পৰা শিপা মেলি আমাৰ মাটিলৈকে বিয়পি পৰিছে । এইবোৰৰ কিছুমানৰ বিস্তৃতি বাষ্ট্ৰীয় স্তৰত আৰু

আন কিছুমানৰ আন্তর্জাতিক দিশত তাতোকৈ বেছি। সেয়েহে সেইবোৰৰ সমাধানত যে ৰাষ্ট্রশক্তিৰ আৰু আন্তর্জাতিক তৎপৰতাৰ ভূমিকাহে অধিক প্রাসঙ্গিক তাকো নিশ্চয় অস্বীকাৰ কৰিব নোৱাৰি। এইবোৰ ক্ষেত্রত অসম সাহিত্য সভাৰ দৰে অৰাজনৈতিক সংগঠনে নিজাববীয়াকৈ কি ধৰণৰ ভূমিকা ল'ব পাৰে বা ল'ব সেয়া সতর্কতাৰে বিচার্য বিষয়।

* * * * * *

পৰিস্থিতি জটিল আৰু কঠিন। তথাপিও আমি কঠিন পৰিস্থিতিৰ সম্মুখীন হ'ব লাগিব। আমি পথ নির্দেশনা বিচাৰিব পাৰোঁ আমাৰ দূৰদর্শী পূর্বসূৰীসকলৰ পৰা, বিশেষকৈ জ্যোতিপ্রসাদৰ পৰা, যি জ্যোতিপ্রসাদে আমি আজি সম্মুখীন হোৱা সঙ্কটৰ আগতীয়া উমান পাইছিল আৰু তাৰ মুখামুখি হোৱাৰ সাম্ভাব্য সূত্রৰ সন্ধান দিছিল। জ্যোতিপ্রসাদৰ শতবর্ষ পালনৰ এই বিশেষ বছৰটোতে আমি অকল উৎসৱ পালনতে ব্যস্ত নাথাকি যদি তেওঁৰ আদর্শ আৰু লক্ষ্য সমূহৰ পৰা বাস্তৱৰ পাঠো গ্রহণ কৰোঁ, তাতেই থাকিব সেই যুগদ্রষ্টাক বোধন কৰাৰ প্রকৃত সার্থকতা।

সমাজলৈ আহি থকা পৰিবর্তনৰ সোঁতবেলাকৰ বিষয়ে জ্যোতিপ্রসাদৰ সামগ্রিক দৃষ্টিভঙ্গী কি আছিল সি তেওঁৰ এষাৰ উক্তিৰ মাজতে স্পষ্ট হৈ আছে: "প্রগতিৰ বৰ ভেটি হৈছে ঐতিহ্যৰ সত্য।" আধুনিকতাৰ মোহত আজিৰ সমাজে যি ধৰণে ঐতিহ্য আৰু পৰম্পৰাক অগ্রাহ্য কৰিবলৈ লৈছে তাৰ প্রতি জ্যোতিপ্রসাদৰ সমর্থন নাছিল, কিয়নো ঐতিহ্য আৰু পৰম্পৰাক বিসর্জন দি প্রগতি স্থায়ী হ'ব নোৱাৰে। কিন্তু সেইবুলি জ্যোতিপ্রসাদ স্থিতাবস্থাৰ পৃষ্ঠপোষক নাছিল। " ৰং-বিৰেহে জগত ধুনীয়া কৰে"— এই বিখ্যাত উক্তিৰ মাজতে সোমাই আছে সংস্কৃতিৰ গতিশীলতাত জ্যোতিপ্রসাদৰ বিশ্বাসৰ ইঙ্গিত। সংস্কৃতি কোনো স্থবিৰ, অপৰিবর্তনীয় বস্তু নহয়: সমাজৰ পৰিবর্তনৰ লগত সংগতি ৰাখি সংস্কৃতিৰো পৰিবর্তন ঘটে আৰু সেইদৰে পৰম্পৰাতো নতুন নতুন সংযোজন ঘটে। এই পৰিবর্তন সংযোজন বিভিন্ন প্রকাৰৰ হ'ব পাৰে, যেনে, ভৌগোলিক, জনবিন্যাসগত, সামাজিক-অর্থনৈতিক বা ৰাজনৈতিক আদর্শগত। এইখিনিতেই উদ্ধৃত কৰিব খুজিছোঁ তৰুণসকলৰ উদ্দেশ্য কবি জ্যোতিপ্রসাদে আগবঢ়োৱা কিছু বিশ্লেষণভিত্তিক উপদেশ— যিখিনি ভালেমান বছৰৰ আগৰ হ'লেও এতিয়াও অত্যন্ত প্রাসঙ্গিক:

"আজি আমাৰ জাতীয় কৃষ্টি আৰু সভ্যতা আকৌ এটা ৰূপান্তৰৰ দুৱাৰদলিত আৰু এই ৰূপান্তৰ সর্বভাবতলৈ আৰু বর্তমান পৃথিবীলৈ যি নতুন সভ্যতা আৰু কৃষ্টি আহিব লাগিছে তাৰ লগত ওতপ্রোতভাবে জড়িত হৈ পৰিছে। বর্তমান পৃথিবীত বিজ্ঞানৰ অপূর্ব বিকাশৰ লগে লগে ৰাজনৈতিক,অর্থনৈতিক আৰু সামাজিক ক্ষেত্রতো নতুন বিপ্লবকাৰী আদর্শ আহি মানব সমাজৰ চিন্তা ৰাজ্যত ভূমিকম্প কৰিছেহি আৰু এই বিশ্ববিপ্লবে জগতৰ জাতিসমূহৰ কৃষ্টি-সভ্যতা আৰু জীৱনলৈ অভাবনীয় পৰিবর্তন অনাৰ আগন্তুক কৰিছে। ..... সেই কাৰণেই প্রত্যেক ভাৰতীয় ডেকাই আজি তেওঁ যি ৰাজনৈতিক বা অর্থনৈতিক আদর্শবাদীয়েই নহওক, সমায় সেই আদর্শবাদৰ মৌলিক নতুন তত্ত্ব-তথ্যৰ বিষয়ে সজাগ হৈ থকাৰ দৰকাৰ। অসমীয়াৰো কৃষ্টি-সভ্যতা সেই গঢ়তে গঢ়ি উঠিব যদিও সেই সময়ৰ ইয়াৰ স্থানীয় অৱস্থা, এই প্রদেশৰ ভৌগোলিক, প্রাণীতাত্ত্বিক গঠন আৰু আমাৰ পুৰণি কৃষ্টি - সভ্যতাৰ যিখিনি সনাতন মূল্যৰ সম্পদ তেতিয়াও থাকি যাব, সিয়েইহে গৈ সেই অসমীয়াই গ্রহণ কৰা নব সভ্যতাত যিখিনি সনাতন মূল্যৰ সম্পদ তেতিয়াও থাকি যাব, সিয়েইহে গৈ সেই অসমীয়াই গ্রহণ কৰা নব সভ্যতাত জাতীয় মৌলিকতাৰ আৰু বিশিষ্টতাৰ বহুল খুবাই এটা সুকীয়া ৰূপ দিবগৈ। মুঠৰ ওপৰত পৃথিবীৰ—ভাৰতৰ —অসমৰ ভবিষ্যৎ সভ্যতা হৈছে এটা সমন্বয়ৰ সভ্যতা আৰু কৃষ্টি।"

বাহিৰৰ পৰা বৃহৎ সংখ্যাত বিভিন্ন গোষ্ঠীৰ লোক অসমলৈ আহি ইয়াত বসবাস কৰিবলৈ লোৱাত ইয়াৰ জনসংখ্যাগত বিন্যাসত যি গহীন ধৰণৰ পৰিবর্তন আহিছে সি জ্যোতিপ্রসাদৰ সময়তেই দেখা দিছিল। তাৎপর্যপূর্ণভাবে জ্যোতিপ্রসাদ সেই বিষয়ে অত্যন্ত সজাগ আছিল আৰু আমাৰ সমাজ-সংস্কৃতিৰ ক্ষেত্রত সি সৃষ্টি কৰিব পৰা সমস্যাৰ বিষয়ে তেওঁৰ আলোকসন্ধানী দৃষ্টিৰে এইদৰে সতর্কবাণী শুনাইছিল:

"এতিয়া এই জনসংখ্যাৰ মানুহৰ সৱহভাগকে যদি আমি ইয়াৰ ভাষা, কৃষ্টি আৰু সভ্যতা দি আমাৰ ভিতৰত সমুদায় নোৱাৰোঁ তেন্তে আমাৰ বিপদ আছে।"

এই ক্ষেত্রত জ্যোতিপ্রসাদৰ আদর্শগত আৰু বাস্তৱসম্মত স্থিতি আছিল স্পষ্ট: অসমীয়া জাতিসত্তাৰ অবধাৰণাৰ পৰিসৰৰ সম্প্রসাৰণ। অসমৰ বিলঞ্জীয়া জনজাতীয় - অজনজাতীয় জনগোষ্ঠীৰ লগতে বাহিৰৰ পৰা আহি ইয়াৰ মাটিকে আপোন কৰি

লোৱা জনগোষ্ঠীসমূহক সামৰি লৈ অসমীয়া সমাজ-সংস্কৃতিৰ ভেটিক বহল কৰি তাক অধিক দৃঢ় আৰু শক্তিশালী কৰি তোলাটোত জ্যোতিপ্রসাদে গুৰুত্ব আৰোপ কৰিছিল। তাৰ উপৰি আজি উত্তৰ - পূৰ ভাৰত বুলি যি এটা অৱধাৰণাই বাস্তৱ ৰূপ পাইছে তাৰ পূৰ্বাভাস পোৱা যায় জ্যোতিপ্রসাদৰ 'পূৰ্বাচল' আৰু 'পূৰ্বভাৰতী'ৰ মাজেৰে ব্যক্ত হোৱা কল্পনাত । কিন্তু জ্যোতিপ্রসাদ তাতে থমকি ৰোৱা নাছিল-সি ক্রমাৎ সম্প্রসাৰিত হৈছিল সৰ্বভাৰতীয়তালৈ আৰু তাৰো ঊৰ্ধ্বলৈ গৈ বিশ্বজনীনতালৈ। বিভিন্ন গোষ্ঠীগত উপাদানৰ সমন্বয়ত সৃষ্টি হোৱা অসমীয়া সংস্কৃতি, তাকে আগুৰি লৈ নিজস্ব বৈশিষ্ট্যৰে বৰ্ণাঢ্য উত্তৰ - পূৰ ভাৰতীয় সংস্কৃতি, তাকে আঁকোৱালি লৈ ভাৰতীয় মহা-সংস্কৃতি আৰু সকলোকে সামৰি বৈচিত্র-সমুজ্জ্বল বিশ্ব-সংস্কৃতি — জ্যোতিপ্রসাদৰ চিন্তাত আছিল এই সকলোৰে সহজ আৰু স্বাভাৱিক অৱস্থিতি , যেন কিছুমান ঐককেন্দ্রিক বৃত্ত, যিবোৰৰ মধ্যবিন্দুত আছে এক সৰ্বমানৱীয় মূল্যবোধ । এই মূল্যবোধেৰে উদ্বুদ্ধ হৈ অসমৰ গাঁৱৰ পৰা পূৰ্বাচল আৰু ভাৰতৰ মাজেদি বিশ্বৰ দৰবাৰলৈ অনায়াস পৰিক্রমাৰ আদর্শ অসমৰ ডেকা-গাভৰুৰ মাজেদি মূৰ্ত হৈ উঠাটোকে জ্যোতিপ্রসাদে মনে-প্রাণে কামনা কৰিছিল ।

নিজৰ মাটিত নিজৰ খোপনি ৰাখিও বিশ্বমুখিতাৰ পিনে গতি কৰা — এয়েই আছিল জ্যোতিপ্রসাদৰ 'সার্বভৌম াদর্শ' । তেওঁ দ্ব্যর্থহীন ভাষাত কৈছিল—

"— আমি যদি আমাৰ সভ্যতা - সংস্কৃতি এই সার্বভৌম আদর্শৰ পৰা আঁতৰাই আমাৰ মনটোক কেৱল লুইতৰ বৰ চাপৰিতেই এৰাল দি থওঁ তেন্তে আমাৰ মনটো অসমৰ গৰুৰ দৰেই টিলিকা হৈ থাকিব । আমাৰ সংস্কৃতি , সাহিত্য, কলা সকলোৰেই থাকিব আমাৰ নামঘৰতে পৰি ।"

এই সন্দর্ভতে অসমীয়া সাহিত্যই বিশ্ব-মান্যতা অর্জন কৰাৰ পথৰ নির্দেশো জ্যোতিপ্রসাদে দি গৈছেঃ

"অসমীয়া সাহিত্যক আমি যদি বিশ্বসভাত আগশাৰীত বহুৱাব খোজোঁ তেন্তে অসমীয়া সাহিত্যিকৰ চিন্তাই বিশ্বক সামৰিব পৰা হ'ব লাগিব।"

জ্যোতিপ্রসাদে যি বাট দেখুৱাই গৈছে সেই বাটেৰে আগবাঢ়ি যাবলৈ যে আমাৰ শক্তি আৰু যোগ্যতা আছে তাক প্রমাণ কৰিবলৈ অসমৰ তৰুণ-তৰুণীৰ দল আগবাঢ়ি নাহিব নে? এটা পৰিপক্ক জাতিৰ প্রতিভূ হিচাপে প্রত্যাহ্বানৰ সম্মুখীন হৈও উচ্চ শিখৰলৈ আৰোহণ কৰাৰ দৃঢ়তা-প্রদর্শনৰ প্রতিশ্রুতি আমাৰ তৰুণ শক্তিৰ পৰা আমি আশা কৰিব নোৱাৰোঁ নে?

* * * * * *

আমাৰ অসমখন পর্বত-ভৈয়ামৰ অসংখ্য নৈ-জান-জুৰিৰ দেশ। নিজৰা-জান-জুৰিবোৰ মিলি সৰু-সৰু নৈ হয়, সেই নৈবোৰৰ ধাৰা বৈ যায় লুইতলৈ , লুইতে গতি কৰে মহা-ভাৰতৰ মাজেদি বিশাল সমুদ্রলৈ বুলি— য'ত মিলিত হয় দেশ-বিদেশৰ বৈচিত্রবাহী জলৰাশি। আহক আমি সৰু-ৰৰ সুঁতিৰ মিলিত ধাৰাৰে আৰম্ভ কৰি মহাসমুদ্রলৈ যাত্রা কৰি জ্যোতিপ্রসাদৰ স্বপ্নক সাকাৰ ৰূপ দিবলৈ সঙ্কল্প গ্রহণ কৰোঁহক — যি স্বপ্নৰ এক মনোমোহা ছবি ভাহি উঠিছে মনীষীগৰাকীৰ এই কবিতাফাঁকিতঃ

ওপজা গাঁৱৰ পৰা
নিজৰাৰ পাৰেদি
জান-জুৰি-নৈয়েদি
লুইতৰ কপালী বালিয়ে মই
জোনাকত বালি ভাত খাই
সোৱণশিৰীয়া সোণ দিনৌ কমাওঁ।
মাৰ যোৱা বেলিটিৰ জিলিকনি লেপি মই
নতুন পুৱাৰ ছবি চাওঁ
মহাভাৰতৰ বাটে
পৃথিৱীৰ সবাহলৈ' যাও ।
শেষত পুনৰবাৰ সকলোলৈকে মোৰ শ্রদ্ধাভৰা সেৱা জনাইছোঁ।

-- * --

অষ্টষষ্টিতম অধিবেশন

মংগলতীর্থ, ছিপাঝাব, ১৮ ফেব্রুবাবী, ২০০৫

কনকসেন ডেকা

অসম সাহিত্য সভাব বিদায়ী সভাপতি ডাঙবীয়া, আজিব মুকলি সভাব উদ্বোধক ডাঙবীয়া, মুখ্য অতিথি ডাঙবীয়া, মঞ্চত উপবিষ্ট বিশিষ্ট অতিথিসকল, আদবণি সমিতিব সভাপতি প্রমুখে বিষয়ধবীয়া আৰু সদস্যসকল, প্রাক্তন সভাপতি আৰু সম্পাদকসকল, বিভিন্ন প্রান্তব পবা অহা প্রতিনিধিসকল আৰু পবম শ্রদ্ধাভাজন সাহিত্যপ্রেমী বাইজ। অসমব প্রাতঃস্মবণীয় সাহিত্যিকসকলে অলংকৃত কবি যোৱা সম্মানীয় সভাপতিব আসনখনত বহিবলৈ আমাব মুঠেও যোগ্যতা নোহোৱা সত্ত্বেও আপোনালোকব নিদেশক্রমে এই গুৰুভাব বহন কবিবলৈ বাধ্য হৈছে। আপোনালোকব পূর্ণ আশীর্বাদ আৰু সহযোগিতা পালেহে এই ভাব কঢ়িয়াই নিয়াটো সম্ভব হ'ব বুলি ভাবো। এইখিনিতে মই ছিপাঝাবব লগতে দবঙব বাইজব প্রতি গভীব কৃতজ্ঞতা জ্ঞাপন কবিছো। এইখন ঐতিহ্যমণ্ডিত ছিপাঝাবতে মই যৌবনব কেইবাটাও বছব কটাইছো আৰু ছিপাঝাববাসীব হাঁহি-কান্দোন, সুখ-দুখব সমভাগীও হৈছো। ছিপাঝাবব স'তে থকা আত্মিক সম্পর্কব হেতুকেই বোধহয় এই অধিবেশনবো আমি পুবোহিত হ'ব লগা হ'ল। শিক্ষা-দীক্ষাত আগবঢ়া, সুৰুচিসম্পন্ন আৰু অতিথিপবায়ণ ছিপাঝাববাসীয়ে বাহিবব যিকোনো লোকক পলকতে আকর্ষণ কবিব পাবে। তাব প্রমাণ অসম সাহিত্য সভাব এই অধিবেশনত ছিপাঝাববাসীয়ে আপোনালোকলৈ হিয়া উবুবিয়াই আগবঢ়োৱা আতিথ্যই দাঙি ধবিছে। ভবিষ্যতেও ছিপাঝাববাসীব এই আতিথ্য আৰু এই উদ্যমব পবম্পবা অব্যাহত থাকিব বুলি আশা কবিছো।

অসম সাহিত্য সভাব সভাপতি নির্বাচিত হোৱাব পাছত শুভাকাংক্ষীসকলে আমাক পবামর্শ দি কৈছে যে সাহিত্য সভাক অধিক গতিশীল কবিব লাগে। অসম সাহিত্য সভাপ্রেমী আৰু শুভাকাংক্ষীসকলব মতামতব প্রতি নিশ্চয় সহাবি জনোৱাটো উচিত হ'ব বুলি ভাবিছো। অবশ্যে এই ক্ষেত্রত কি ধবণব অনুকূল বা প্রতিকূল পবিস্থিতিব সম্মুখীন হ'ব লগা হয় সেই কথা সময়তহে জনা যাব আৰু তাব ওপবতে গতিশীলতাও নির্ভব কবিব, কিন্তু সাহিত্যপ্রেমীসকলব দিহা-পবামর্শক আমি সদায়েই আদবণি জনাম। অকল সিয়েই নহয়, আমাব দোষ-ত্রুটি আঙুলিয়াই দিয়াব অধিকাবো তেওঁলোকব আছে। আমাব কাম-কাজব প্রতি সাংবাদিকসকলেও যাতে সততে চোকা দৃষ্টি বাখে তাব বাবেও আহ্বান জনালো। অবশ্যে তাক কবিবলৈ যাওঁতে যাতে সত্যব অপলাপ কবা নহয় আৰু ব্যক্তিগত স্বার্থ পূবণব হেতুকে অযথা অসমসাহিত্য সভাব দবে মহান অনুষ্ঠানটোব ভাবমূর্তি ম্লান কবিবলৈ বিচবা নহয় তাব প্রতি মনোনিবেশ কবাটো বাঞ্ছনীয়।

এতিয়া প্রশ্ন হ'ল, কোনবোব ক্ষেত্রত অসম সাহিত্য সভাক গতিশীল কবা উচিত? কিছুমানব মতে, অসম সাহিত্য সভাব কর্মক্ষেত্রব পবিধি সংবিধান অনুসবি ভাষা-সাহিত্য-সংস্কৃতিব বিকাশতে সীমাবদ্ধ থকা উচিত। আন কিছুমানব মতে, অসম সাহিত্য সভা যিহেতু এক জাতীয় অনুষ্ঠান, সেয়েহে অসমবাসীয়ে সম্মুখীন হোৱা জ্বলন্ত সমস্যাসমূহ সমাধানব অর্থে সভাই বিশেষ ভূমিকা লোৱাটো বাঞ্ছনীয়। এই মহলটোব মতে সাহিত্য-সংস্কৃতিব বিকাশ শূন্যতে হ'ব নোৱাবে। চোকাতুষব সম্মুখত সাহিত্য-সংস্কৃতিব ধ্বনি যিদবে অর্থহীন, তেনেদবে দেশব নিবাপত্তা অনিশ্চিত হৈ থকালৈকেও সাহিত্য-সংস্কৃতিব বিকাশ স্বাভাবিকভাবে হ'ব নোৱাবে। গতিকে সাহিত্য-সংস্কৃতিব বিকাশব হেতুকে অপবিহার্য শান্তি আৰু অর্থনৈতিক আত্মনির্ভবশীলতাব।

ভকতীয়া সুৰত প্ৰায়ে কোৱা হয়— 'প্ৰথমে চাউলকঠা, পাছতহে হৰিকথা।' শান্তি-সম্প্ৰীতি আৰু আধ্যাত্মিক চিন্তাৰ পটভূমি গঢ়িবলৈ হ'লে যে অৰ্থনৈতিক সুস্থিৰতা নিতান্তই অপৰিহাৰ্য সেই কথাৰে ইয়াত ইংগিত দিয়া হোৱা নাইনে?

এই দিশবোৰত অসমবাসীয়ে যথোচিত গুৰুত্ব দিবলৈ বিচৰা নাই বুলি ক'লে ভুল হ'ব; কিন্তু গুৰুত্ব দিয়াটোৱেই যথেষ্ট নহয়। আৰেগৰ বশৱৰ্তী হৈ অত্যুৎসাহেৰে সমস্যা সমাধান কৰিবলৈ গ'লে সমস্যাৰ জোঁট খোলাতকৈ সি যে অধিক জটিল হৈহে পৰিব পাৰে, সেই কথা বিগত তিনি দশকত সংঘটিত অসমৰ ঘটনাৱলীয়ে প্ৰমাণ কৰিছে। অবৈধ অনুপ্ৰৱেশৰ সমস্যা সমাধানৰ লগতে শোষণমুক্ত সমৃদ্ধিশালী নতুন অসম গঢ়িবলৈ ধ্বনি নি ৰাজপথলৈ ওলাই অহাৰ পাছতো কোনো এটা সমস্যাৰ সমাধান কৰাটো সম্ভৱ হৈ নুঠিল আৰু সন্ত্ৰাসবাদ, গোষ্ঠী সংঘৰ্ষ, সহজলভ্য ধনৰ প্ৰতি আকৰ্ষিত হোৱাকে ধৰি এশ এটা নতুন সমস্যাৰ উদ্ভৱ হ'ল আৰু প্ৰচুৰ ধন-জনৰ ক্ষতি হোৱাৰ উপৰি অসমবাসীৰ মনবোৰো ভাগি থান-বান হ'ল। বৰ্তমানৰ ভুল বুজাবুজিৰ আঁতৰ কৰি সু-সংহত সমাজ এখন গঢ়াটো সম্ভৱ হ'বনে? সেই প্ৰশ্নটোৱে অসমৰ সচেতন ব্যক্তিসকলৰ মগজুত অহৰহ ক্ৰিয়া কৰিছে। গতিকে আৰেগৰ সলনি যুক্তিৰেহে আমি আগবাঢ়িব লাগিব। তদুপৰি যিটো কামৰ দায়িত্ব নিৰ্বাচিত জনপ্ৰতিনিধিৰ ওপৰতহে অৰ্পিত, সেই কাম অৰাজনৈতিক সংগঠনেন দৈহিক শক্তিৰে নিজৰ হাতত ল'লে অধিক বিপদ চপাই অনা হ'ব পাৰে। অৱশ্যে কোনো দাবী আদায়ৰ বাবে অৰাজনৈতিক সংগঠনে নিৰ্বাচিত প্ৰতিনিধিৰ ওপৰত হেঁচা প্ৰয়োগ কৰাৰ অধিকাৰ আছে; কিন্তু কোনো কোনো মহলে নিজাববীয়াকৈ আইন হাতত তুলি ল'বলৈ বিচৰা হেতুকে আজিৰ অসমীয়া সমাজ গভীৰ সংকটৰ সম্মুখীন হৈছে। এই দিশটোৰ প্ৰতি ভৱিষ্যতে সতৰ্ক দৃষ্টি ৰাখিব লাগিব। সেয়ে নহ'লে 'ল'ৰাই পানী পেলালে পিছলি পৰে' বোলা কথাষাৰ ভৱিষ্যতেও প্ৰযোজ্য হৈ থাকিব। দ্বিতীয়তে, অসম সাহিত্য সভাই গতিশীলতাৰ কাম কৰিবলৈ হ'লে, সেই কাম অসমবাসীয়েহে কৰিব লাগিব। সাহিত্য সভাই কেৱল পথ নিৰ্দেশনাহে দিব পাৰে। এই ক্ষেত্ৰতো সমস্যা নোহোৱা নহয়। সুদীৰ্ঘকাল ধৰি সদৌ অসম কৰ্মচাৰী পৰিষদৰ দায়িত্বত থকা ব্যক্তি এগৰাকীয়ে অলপতে আমাক জনালে যে সাহিত্য সভাই ৰাজ্যভাষা অসমীয়া ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত যথোচিত গুৰুত্ব দিব লাগে। তেতিয়া আমি তেওঁক প্ৰশ্ন কৰিলো— 'সুদীৰ্ঘ কাল ধৰ কৰ্মচাৰী পৰিষদৰ স'তে জড়িত হৈ থকা কালছোৱাত আপুনি পৰিষদৰ সদস্যসকলক চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ নিদেৰ্শনা দিছিলনে?' অসমৰ চৰকাৰী কৰ্মচাৰীসকলৰ প্ৰায়ভাগেই অসমীয়া ভাষী। যিহেতু অসমীয়া ৰাজ্যভাষা আইন কাহানিবাই হৈছে, তেনেস্থলত কৰ্মচাৰীসকলে এই ভাষা ব্যৱহাৰ কৰাত বাধাতো নায়েই, বৰঞ্চ ব্যৱহাৰ নকৰাটোহে দোষণীয়। গতিকে এই বিষয়ে দায়িত্ব পালন কৰিবলৈ চৰকাৰী কৰ্মচাৰী সংস্থাৰ বিষয়ববীয়াই সাহিত্য সভাৰ প্ৰতি আবেদন জনোৱাৰ যুক্তি নাই। এতিয়া জানিব পাৰিছো যে ৰাজ্যভাষা ব্যৱহাৰ কৰাসকলক চৰকাৰৰ ফালৰ পৰা পুৰস্কৃত কৰা হয়। তৎসত্ত্বেও কৰ্মচাৰীসকলে ছুটীৰ আবেদনখনো ৰাজ্যভাষাত নিলিখাৰ কাৰণ কি? ইয়াৰ স'তে সামগ্ৰিকভাৱে সাম্প্ৰতিক কালৰ অসমীয়া মানসিকতা জড়িত হৈ আছে। আমি নিজৰ দায়িত্ব পালন কৰিবলৈ নিবিচাৰো আৰু নিজৰ সকলো দুখ-দুৰ্দশাৰ হেতুকে কেৱল আনক জগৰীয়া কৰিবলৈ বিচাৰো। আমি সততাৰে কাম কৰি ধন উপাৰ্জন কৰিবলৈ আগ নাবাঢ়ো; কিন্তু বাহিৰৰ পৰা অহা কোনো লোকে এই আচামমুলুকত অশেষ কষ্ট কৰি যেতিয়া প্ৰচুৰ ধনৰ অধিকাৰী হয়, তেতিয়া ঈৰ্ষাত আমাৰ দেহ-মন জ্বলি উঠে আৰু বহুতৰে কণ্ঠত ধ্বনিত হয়— 'ইইঁতে অসমখন খালে।' আমি নিজ দায়িত্ব পালন কৰা হ'লে ইয়াত থকা সুযোগ আন কোনোবাই ল'ব পাৰিলেহেঁতেন? একেদৰে কেন্দ্ৰীয় চৰকাৰে অসমৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰা বুলি সততে অভিযোগ তুলি ৰাইজৰ পৰা বাঃ বাঃ লওঁ আৰু নিশাৰ ভিতৰতে নেতাও হৈ পৰে; কিন্তু কেন্দ্ৰই প্ৰেৰণ কৰা ধন দিছপুৰৰ অসমীয়া নেতা-আমোলাই কিদৰে আত্মসাৎ কৰিছে সেই সম্পৰ্কত সৰৱ নহওঁ। গড়কাপ্টানী বিভাগৰ কৰ্মচাৰীসকলে ৰাজহুৱাভাৱে ঘোষণা কৰিছে যে বিভাগটোৰ ধনৰ মাত্ৰ ত্ৰিছ শতাংশহে ৰাইজৰ কামত ব্যয় হয়। সমাজ কল্যাণৰ দৰে ৰাইজৰ স'তে গভীৰ সম্পৰ্ক থকা বিভাগৰ অৱস্থা বোলে তাতোকৈ শোচনীয়। এতিয়া প্ৰশ্ন হ'লে— বাকী সত্তৰ শতাংশ আত্মসাৎ কৰাসকল এইখন ৰাজ্য বাসিন্দা নহয়নে? আমি এই কথা ক'বলৈ যোৱা নাই যে নতুন দিল্লীয়ে অসমৰ উন্নয়নৰ কাৰণে সকলোখিনিকে কৰিছে; কিন্তু যিখিনি আগবঢ়াইছে সেইখিনিৰ সদ্ব্যৱহাৰ কৰা হ'লেও ৰাজ্যখনৰ অৱস্থা নদন-বদন হ'লহেঁতেন। সেয়েহে আমি ভাবো আমাৰ সৰ্বপ্ৰথম কৰ্তব্য হ'ল নিজকে চিকুটি চোৱাটো। সমাজ এখন গঢ়ি তুলিবলৈ হ'লে প্ৰথমে আমাক লাগিব অন্তৰ্দৃষ্টি। সৰ্বপ্ৰথমে নিজৰ মগজু, নিজৰ হৃদয়, নিজৰ হাত আৰু ভৱিষ্যতহে সদ্ব্যৱহাৰ কৰিব পাৰিব লাগিব। দিল্লীয়ে

যদিহে প্রাপ্যৰ পৰা বঞ্চিত কৰিছে, তেন্তে আমাৰৰ দিছপুৰৰ চৰকাৰখনক হেঁচা দিয়ক। নতুন দিল্লীৰ পৰা প্রাপ্য আদায় কৰিবলৈ বাধ্য কৰাওক, যিটো আন আন ৰাজ্যৰ লোকে কৰিছে। তাকে নকৰি নিজৰ অকর্মণ্যতা ঢাকি অযথা আনৰ প্রতি বিদ্বেষ পোষণ কৰিবলৈ ল'লে তাৰ পৰিণতি ভয়ংকৰ হোৱাটো নিশ্চিত। যেতিয়াৰ পৰা আমাৰ ব্যর্থতাৰ সকলো দোষ কেন্দ্রৰ ওপৰত জাপি দিয়া হৈছে, তেতিয়াৰ পৰাই ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীৰ মাজতো তেনে এক প্রৱণতা গঢ় লৈ উঠিছে আৰু তেওঁলোকৰ অনগ্রসৰতাৰ হেতুকে আত্মসমালোচনাৰে নিজকে যোগ্য কৰি তোলাৰ সলনি প্রত্যক্ষভাৱে দিছপুৰীয়া চৰকাৰখন আৰু পৰোক্ষভাৱে অসমীয়া সমাজৰ ওপৰতে দোষ জাপি দিয়া হৈছে আৰু তাৰ পৰিণতিয়ে আজি কেনে ৰূপ লৈছে তাক ব্যাখ্যা কৰাৰ প্রয়োজন নাই। দৰাচলতে অসমীয়াসকলৰ হীনমন্যতাৰ হেতুকে এইদৰে সকলো ক্ষেত্রতে আনৰ ওপৰত দোষ জাপি দিয়াৰ প্রৱণতা গঢ়ি উঠিছে। ইয়াৰ প্রত্যুত্তৰ হ'ব অসমীয়াসকলে ব্যৱসায়-বাণিজ্যিকে ধৰি সকলো ক্ষেত্রতে শ্রম আৰু বুদ্ধিমত্তাৰে প্রতিযোগতাসুলভ মনোভাবেৰে নিজৰ অধিকাৰ সাব্যস্ত কৰাটো। ইয়াৰ বিপৰীতে হিংসা, ঈর্ষাক স্থান দিবলৈ হ'লে আমি ৰসাতলে যোৱাৰ পথেহে মুকলি কৰা হ'ব। প্রতিযোগিতাৰ পথটোতহে পৌৰুষ লুকাই থাকে, হিংসা, ঈর্ষাৰ পথেৰে ক্লীৰত্বকহে স্বাগতম জনোৱা হয়। এই সংসাৰ পৌৰুষৰ নে ক্লীৰত্বৰ অধিকাৰত সেই কথা বেলেগে ব্যাখ্যা কৰাৰ প্রয়োজন নাই। সেয়ে আমি বিচাৰো, প্রতিগৰাকী যুৱক-যুৱতীৰ কণ্ঠত উচ্চাৰিত হওক এই মন্ত্র— 'মই আত্মনির্ভৰশীল হ'ম।'

প্রসংগক্রমে উল্লেখ কৰিব পাৰি যে সুদীর্ঘ কাল ধৰি আমাৰ কিছুসংখ্যক লোকে অধিক স্বায়ত্তশাসনৰ দাবী জনাই আহিছে। স্বায়ত্তশাসনেই যে গণতান্ত্রিক শাসন ব্যৱস্থাৰ ভেটিস্বৰূপ সেই বিষয়ত সন্দেহ নাই। অধিক স্বায়ত্তশাসন আকাংক্ষা কৰিয়ে অসমবাসীয়ে আঞ্চলিক দল অগপক ক্ষমতাধিষ্ঠিত কৰিছিল; কিন্তু অসমৰ বাইজে সেই চৰকাৰৰ স্বায়ত্তশাসনৰ কোনো ধৰণৰ বিশেষ স্বায়ত্তশাসন ভোগ কৰিবলৈ সক্ষম হ'লনে? যদিও স্বায়ত্তশাসনৰ অর্থ কোনোপধ্যে চৰকাৰী লুটি পুটি খোৱাটো নহয়, কার্যতঃ অসমত সিয়েই হোৱা দেখা গৈছে। য'তেই অধিক স্বায়ত্তশাসন দিয়া হৈছে, ত'তেই ক্ষমতাৰ অধিক অপব্যবহাৰ হৈছে। পৌৰ নিকায় আৰু গাঁও পঞ্চায়তসমূহক যিমানে স্বায়ত্তশাসন দিয়া হৈছে, সিমানে ক্ষমতাৰ অধিক অপব্যবহাৰ ঘটাৰ অভিযোগ কাকতে-পত্রে পঢ়িবলৈ পোৱা গৈছে। তেনেদৰে ৰাজ্যখনৰ অন্যান্য জিলাৰ তুলনাত উত্তৰ কাছাৰ পাহাৰী জিলা আৰু কাৰবি আংলঙকে অধিক স্বায়ত্তশাসন দিয়া হৈছে যদিও সেই দুখন জিলাৰ জনসাধাৰণৰ অৱস্থা অধিক শোচনীয় হৈ পৰিছে; কিয়নো স্বায়ত্তশাসনৰ নামত ৰাজহুৱা ধনৰ সিংহভাগেই নেতা আৰু আমোলাসকলে আত্মসাৎ কৰে আৰু তেওঁলোকে সকলো অনর্থৰ বাবে দিছপুৰকে জগৰীয়া কৰি বাইজৰ প্রতি থকা দায়িত্ব পালন কৰাৰ ভাও জোৰে। তাৰ ফলস্বৰূপে প্রচুৰ ধন ব্যয় কৰাৰ পাছতো জিলা দুখনৰ সর্বসাধাৰণ লোকৰ অৱস্থাৰ উন্নতি সম্ভৱ হৈ উঠা নাই। গতিকে যিটো দেখা যায়, এই ধৰণৰ ধনিবে একোটা দুষ্ট চক্রই নিজৰ স্বার্থ পূৰণ কৰাৰ সুযোগহে বিচাৰি পায়। সেই বুলি আমি বিকেন্দ্রীকৃত স্বায়ত্তশাসনৰ বিৰোধিতা কৰা নাই, ৰৱঞ্চ সফল গণতন্ত্রৰ বাবে ইয়াৰ প্রয়োগ অপৰিহার্য বুলিহে ধাৰণা কৰো আৰু স্থানীয় সমস্যাসমূহ সমাধানৰ ক্ষেত্রত বাইজে সক্রিয় অংশ লোৱাৰ অধিকাৰ পূর্ণমাত্রাই আছে বুলি ভাবো; কিন্তু যেতিয়ালৈকে আমি সামাজিকভাৱে দায়বদ্ধ নহ'ম আৰু সাধাৰণ নাগৰিক জ্ঞানখিনিকো আয়ত্ত কৰিবলৈ সক্ষম নহ'ম, তেতিয়ালৈকে স্বায়ত্তশাসনৰ ধ্বনি অর্থহীন হৈয়ে থাকিব। প্রকৃত স্বায়ত্তশাসনৰ অর্থ ৰাজহুৱা ধন আৰু ক্ষমতাৰ সুপ্রয়োগহে, আত্মসাৎ আৰু অপপ্রয়োগ নহয়। স্বায়ত্তশাসনৰ ধাৰণা সংবিধান অথবা আইনৰ পুথিত থকাটোৱে যথেষ্ট নহয়, সেই ধাৰণা প্রথমে নিজৰ মনতহে জগাই তুলিব লাগিব। আমাৰ নেতা-আমোলা আৰু দায়িত্বত থকা লোকসকল সামাজিকভাৱে দায়বদ্ধ নোহোৱালৈকে স্বায়ত্তশাসন সফল হ'ব নোৱাৰে। সামাজিক দায়বদ্ধতাই হ'ল দেশপ্রেমৰ উৎস। কিন্তু এনেবোৰ গুৰুতৰ বিষয় সম্পর্কতো আমি এক স্পষ্ট জীবন-দর্শন দাঙি ধৰিব পৰা নাই। অসম বুলিয়ে নহয়, সাম্প্রতিক কালৰ ভাৰতীয় সমাজ সকলোতকৈ দুর্বলতা প্রকট হৈ উঠিছে জীবন-দর্শনৰ ক্ষেত্রত। ভাৰতবর্ষত দর্শন বুলিলে কেৱল প্রাচীন কালৰ বেদ, উপনিষদ, বৌদ্ধ, জৈন, চার্বাক আদিৰ দর্শনকে বুজোৱা হয়। বিগত কেইবা হাজাৰ বছৰ ধৰি তাৰ ওপৰতে ভাষ্য-প্রতিভাষ্য দি অহা হৈছে। আমাৰ বিধায়িনী, প্রশাসনীয় ন্যায়পালিকা আদি সকলো ব্যৱস্থা পশ্চিম অনুকৰণত গঢ়ি তোলা হৈছে। আনহাতে বৈষয়িক দিশসমূহৰ ওপৰত বিশেষকৈ গণতান্ত্রিক শাসন ব্যৱস্থা, নাগৰিক জ্ঞান আদিৰৰ লগতে সম্পদৰ বিতৰণ সম্পর্কত পশ্চিমীয়া ধ্যান-ধাৰণাকে চর্চা কৰি থকা হৈছে। মহাত্মা গান্ধীয়ে গ্রাম্য স্বৰাজৰ জৰিয়তে এক ভাৰতীয় স্বকীয় ধাৰা প্রবর্তন কৰিবলৈ বিচাৰিছিল যদিও তেওঁৰ অনুগামীসকলে সেই

ধাৰাক নস্যাৎ কৰা দেখা গ'ল। দৰাচলতে আমি পশ্চিমীয়া ধ্যান-ধাৰণাক অনুসৰণ কৰাৰ বাহিৰে এক নিজস্ব জীৱন দৰ্শন গঢ়ি তুলিবলৈ চিন্তা-চৰ্চা কৰা নাই। এমুঠিমান গ্ৰীক পণ্ডিতে দুহেজাৰ বছৰৰ আগতে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে একোটি নিজস্ব ধাৰা মানৱ জাতিক উপহাৰ দিবলৈ সক্ষম হৈছিল। আমাৰ সমাজত দৰ্শন অধ্যয়ন কৰা পণ্ডিত আছে, কিন্তু নিজাৰবীয়াকৈ চিন্তা কৰিবলৈ ওলোৱা লোকৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে। সাহিত্যৰ বিবিধ সম্ভাৱনাৰ মাজতো অনুকৰণপ্ৰিয়তাহে প্ৰকট হৈ উঠিছে। আমাৰ সমাজৰ মাটি-পানী আৰু জলবায়ৰ আধাৰত উন্নত জীৱন ধাৰাৰ এক নিজস্ব দৰ্শন গঢ়ি তুলিব নোৱাৰিলে সমাজৰ এক বিশাল দিশ অসম্পূৰ্ণ হৈয়ে ৰ'ব। ইয়াৰ মূলতে আত্মবিশ্বাসৰ অভাৱে ক্ৰিয়া কৰি আহিছে। অসম তথা ভাৰতবৰ্ষৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতো যেন পশ্চিমৰ কোনোবা এজন পণ্ডিতে দিয়া মন্তব্যহে গুৰুত্বপূৰ্ণ। তেনে হীনমন্যতা আমাৰ সমাজৰ আৰ্থ-সামাজিক প্ৰতিটো দিশতেই প্ৰকট হৈ পৰিছে। বিনযুদ্ধে আমি পৰাজয় স্বীকাৰ কৰি ল'বলৈল যেন মানসিকভাৱে প্ৰস্তুত হৈ পৰিছো। ইয়াতকৈ বেদনাৰ কথা আন একো হ'ব নোৱাৰে। ইয়াৰ বিপৰীতে অন্ততঃ এটা দিশ আমি আঙুলিয়াব পাৰো। আজিৰ পৰা ডেৰশ বছৰ আগতেই এইখন অসমৰেই আত্মবিশ্বাসী এচাম লোকে ব্যৱসায়-বাণিজ্য, সাহিত্য-সংস্কৃতি আদি প্ৰতিটো ক্ষেত্ৰতে আনৰ স'তে ফেৰ মাৰি আগবাঢ়ি যাব পাৰিছিল। তেওঁলোক হীনমন্যতাত ভোগা নাছিল। উদাহৰণস্বৰূপে আঙুলিয়াব পাৰি যে ব্ৰিটিছৰ স'তে ফেৰ মাৰি মণিৰাম দেৱানে (১৮০৬-১৮৫৮) যিদৰে উদ্যোগ-বাণিজ্যৰ সম্প্ৰসাৰণত হাত দিছিল— সেই ধাৰা ১৯২৩ ত ভোলানাথ বৰুৱাৰ মৃত্যুৰ পাছত স্তিমিত হৈ পৰিল। এই উদ্যোগী পুৰুষসকলে অৰ্থনীতিৰ উপৰি শিক্ষা-সাহিত্য-সংস্কৃতিৰ দিশতো অনবদ্য অৱদান আগবঢ়াই জাতীয় চেতনাৰ পৰিচয় দি গৈছে। অসমীয়া ভাষাৰ সংকটৰ কালছোৱাত ভাষাৰ স্বকীয়তা প্ৰমাণ কৰিবৰ বাবে হেমচন্দ্ৰ গোস্বামী সম্পাদিত আৰু সংকলিত 'অসমীয়া সাহিত্যৰ চানেকি'ৰ প্ৰকাশৰ সমুদায়য় ব্যয় তেতিয়াৰ কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ছাৰ আশুতোষ মুখাৰ্জীৰ হাতত ১০ হেজাৰ টকা ভোলানাথ বৰুৱাই জমা দিছিল। তেতিয়াৰ ১০ হেজাৰ মানে এতিয়াৰ এক কোটি হ'ব। 'বি বৰুৱা ট্ৰাষ্ট' গঠন কৰি অন্যান্য পুথি প্ৰশাসনৰো তেওঁ ব্যৱস্থা কৰি দিছিল। ভোলানাথ বৰুৱাৰ টকা অবিহনে হয়তো সাতোটা খণ্ডৰ 'অসমীয়া সাহিত্যৰ চানেকি' কোনোদিনে প্ৰকাশ নাপালেহেঁতেন। অন্যান্য পুৰণি পুথি ছপাবৰ বাবেও বৰুৱা ১০ হেজাৰ টকা দিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ 'মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱ' গ্ৰন্থখনি ১৯১৪ ত ভোলানাথ বৰুৱাৰ ধনেৰে প্ৰকাশ কৰা হৈছে বুলি পুথিখনিৰ পাতনিত বেজবৰুৱাই কৃতজ্ঞতা প্ৰকাশ কৰি গৈছে। পদ্মনাথ গোহাঞি বৰুৱা 'বস্তি'ৰ বাবেও ভোলানাথ বৰুৱাই সাহায্য আগবঢ়ায়। বৰুৱাৰ কৰ্মস্থল 'ঝাৰসোগড়া'ত তেওঁ এখন দাতব্য চিকিৎসালয় স্থাপন কৰে। তেওঁৰ ব্যৱসায়ৰ সম্পৰ্ক থকা ৰাষ্টেয়াৰতো হাস্পতাল স্থাপন উদ্দেশ্যে ৩০ হেজাৰ টকা দান দিয়ে। তেওঁ চিমলাত থকা ঘৰ-সম্পত্তি কাশী বিশ্ববিদ্যালয়ক দান দি বিদ্যোৎসাহৰ পৰিচয় দাঙি ধৰে। সেই সম্পত্তিৰ মূল্য তেতিয়াই এক লাখৰো অধিক বুলি জনা গৈছে। চিমলাতে থকা তেওঁৰ বাসভৱনত নাম আছিল 'বৰুৱা আছাম হাউছ'। বাসভৱনৰ নামৰ স'তে 'অসম' জড়িত থকাটো তাৎপযপূৰ্ণ। চিৰকুমাৰ বৰুৱাই চিমলাৰ ঘৰ-সম্পত্তি বিক্ৰী কৰি সেই ধনৰ বাৰ্ষিক সুদৰ এটা অংশৰে অসমৰ পৰা কাশীলৈ ইঞ্জিনীয়াৰিং পঢ়িবলৈ যোৱা ছাত্ৰক বৃত্তি দিয়াৰ ব্যৱস্থা কৰিছিল। কাশী বিশ্ববিদ্যালয়লৈ ভোলানাথ বৰুৱাই এক লক্ষ পঁচিছ হেজাৰ টকা দান দিছিল। দিল্লীতো জুমা মছজিদৰ ওচৰত তেওঁ এটা নিজা ঘৰ আছিল। তেওঁ শ্বিলঙৰ 'আৰ্ল চেনোটৰিয়াম' নামৰ স্বাস্থ্য কেন্দ্ৰ এটাৰ বাবেও ধনৰ যোগান ধৰিছিল। কলিকতাতো তেওঁৰ বিশাল বাসভৱন আছিল। (কলকাতাৰ অসম ভৱনত এসময়ত বাণিজ্যিক উপদেষ্টাৰূপে কাম কৰা অৱসৰপ্ৰাপ্ত প্ৰশাসনীয় বিষয়া কনকচন্দ্ৰ শৰ্মাই আমাক জানিবলৈ দিয়া মতে) ভোলানাথ বৰুৱাৰ হাওৱাৰ 'ডবচন ৰোড'ত থকা বাসভৱনত (য'ত লক্ষ্মীনাথ বেজবৰুৱাও একেলগে আছিল) দুবিঘা চাৰি কঠা, বেলাগছিয়াত পাঁচ বিঘা দুকঠা আৰু অন্য স্থানত সাত বিঘা মৎস্য পালনৰ মাটি আৰু অন্যান্য সম্পদ আছিল। এই মাটি আৰু সম্পত্তি তেওঁৰ মৃত্যুৰ পাছত কিদৰে পৰিচালিত হ'ব আৰু তাৰ পাছত কেনেকৈ অসমৰ শিশু ছাত্ৰসকলৰ শিক্ষাৰ বাবে অসম চৰকাৰৰ শিক্ষা বিভাগলৈ দানৰূপে হস্তান্তৰিত হ'ব, সেই বিষয়ে বিহিত নিয়মেৰে ভোলানাথ বৰুৱাই উইল কৰি থৈ গৈছিল। তেওঁৰ মৃত্যুৰ পাছত সেই সম্পত্তি অসমৰ ৰাজ্য চৰকাৰৰ উইল কৰি থৈ গৈছিল। তেওঁৰ মৃত্যুৰ পাছত সেই সম্পত্তি অসমৰ ৰাজ্য চৰকাৰৰ হাতলৈ নাহিল। কলকাতা উচ্চ ন্যায়ালয়ত বাণিজ্যিক উপদেষ্টাই এক গোচৰ ৰুজু কৰিছিল যদিও সাম্প্ৰতিক কালত ৰাজ্য চৰকাৰে শিক্ষা বিভাগে কোনো তৎপৰতা গ্ৰহণ নকৰাত এই গোচৰৰ কি মীমাংসা হ'ল জানিব পৰা হোৱা নাই। অসমৰ শিশু শিক্ষাৰ উন্নতিৰ

বাবে দান কৰা এই মহামূল্যবান সম্পদ ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে তৎপৰ হৈ দখল আৰু অধিকাৰ লৈ ব্যৱহাৰ নকৰাৰ ফলত অসমবাসী বঞ্চিত হ'ল। এতিয়াও আমি এই বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে ততালিকে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হয়। উল্লেখনীয় যে তেতিয়া উৰিষ্যাত ৰে'লগাড়ী চলা নাছিল। ভোলানাথ বৰুৱাই ইংলেণ্ডলৈ গৈ পার্লিয়ামেণ্টৰ সদস্যসকলক লগ ধৰি উৰিষ্যাতো ৰে'লআলি নিৰ্মাণৰ বাবে সৈমান কৰাইছিল। বৰুৱাই এইদৰে ইংলণ্ডত তিনি মাহ থাকি চেষ্টা চলোৱাৰ কাৰণ এইটোৱেই আছিল যাতে তেওঁ ৰেলআলিৰ ষ্লীপাৰৰ ঠিকা পাব পাৰে। (ভোলানাথ বৰুৱা আৰু সেই সময়ৰ ঘটনাৱলীৰ কিছু তথ্য ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ 'সদাগৰ ভোলানাথ বৰুৱা' নামৰ পুথিৰপৰা লোৱা হৈছে।)

ব্ৰিটিছৰ আগমনৰ সময়ৰ পৰা উদ্যোগ-বাণিজ্যৰ স'তে জড়িত লোকসকল অসমীয়া সাহিত্য-সংস্কৃতিৰ বিকাশৰ প্ৰতি যথেষ্ট সচেতন আছিল। অসমৰ ইতিহাস সম্পৰ্কেও অসমীয়াসকলক সচেতন কৰি তুলিবলৈ সেইসকলে চেষ্টা কৰিছিল। এই কালছোৱাতে হলিৰাম ঢেকীয়ালফুকন, কাশীনাথ তামুলীফুকন, যজ্ঞৰাম ফুকন, ৰঞ্জয় ফুকন প্ৰভৃতিয়ে অসমৰ বুৰঞ্জী প্ৰণয়ন কৰে। মণিৰাম দেৱানে তেতিয়াই ব্ৰিটিছ কোম্পানীৰ অধীনত ছশটকীয়া চাকৰি কৰিলেও তেওঁ অসম বুৰঞ্জী সম্পৰ্কে সজাগ আছিল। দেৱান ৰচিত 'বাৰভূঞা বুৰঞ্জী', 'শুৰু চৰিত' আৰু 'বুৰঞ্জী বিবেকৰত্ন'ৰ গুৰুত্ব অপৰিসীম। কিন্তু দেৱানেন লোভনীয় ছশটকীয়া মাহিলি দৰমহাৰ চাকৰি বিসৰ্জন দি নিজাকৈ চেনীমৰা আৰু চেংলুঙত বাগিচা স্থাপন কৰিছিল। হলিৰামৰ 'অসম বুৰঞ্জী' ১৮১৯ তে প্ৰকাশ পাইছিল আৰু ড° অমলেন্দু গুহৰ মতে এইখনেই ভাৰতীয় ভাষাৰ প্ৰথম ছপা বুৰঞ্জী। যজ্ঞৰামে ১৮৩৫ তে গুৱাহাটীত বিশ্ববিদ্যালয়ৰ স্থাপনৰ বাবে এহেজাৰ টকা ৰৰঙনি আগবঢ়াইছিল। আনন্দৰাম ঢেকীয়ালফুকনে অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ লগতে অসমক শিল্প-বাণিজ্যৰ ক্ষেত্ৰতো পশ্চিমৰ আৰ্হিৰে সমৃদ্ধিশালী কৰিবলৈ উদ্গনি দিছিল। আনন্দৰাম ঢেকীয়ালফুকন (১৮২৯-৫৯), হেমচন্দ্ৰ বৰুৱা (১৮৩৫-১৮৮৯) আৰু গুণাভিৰাম বৰুৱা (১৮৩৭-১৮৯৪) আছিল ইংৰাজী শিক্ষাৰে শিক্ষিত আৰু ১৯ শ শতিকাৰে বৌদ্ধিক শ্ৰেণীটোৰ আগৰণুৱা। মণিৰাম দেৱানৰ পাছতে ৰসেশ্বৰ বৰুৱা, জগন্নাথ বৰুৱা, হেমধৰ বৰুৱা, কৃষ্ণকান্ত হাতীবৰুৱা, মালভোগ বৰুৱা, গংগাগোবিন্দ ফুকন আৰু দীননাথ বেজবৰুৱা প্ৰভৃতিয়ে ব্ৰিটিছৰ স'তে ফেৰ মাৰি চাহ উদ্যোগত মনোনিৰেশ কৰিছিল। জগন্নাথ বৰুৱা আৰু মণিকচন্দ্ৰ বৰুৱাই কলিকতাত পঢ়ি থাকোঁতে ১৮৭২ ত 'অসমীয়া সাহিত্য সভা' গঠন কৰে। আজিৰ অসম সাহিত্য সভাৰ আগৰণুৱা হিচাপে এই দুগৰাকীৰ নাম কৃতজ্ঞতাৰে ল'ব লাগিব। মাণিকচন্দ্ৰই আনন্দৰাম ঢেকীয়ালফুকনৰ পুত্ৰ অন্নদাৰামৰ স'তে 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছ' নামেৰে বহল ভিত্তিত ব্যৱসায় আৰম্ভ কৰিছিল আৰু সেই লাভৰ কিয়দাংশ অসমৰ উন্নয়নৰ হকে ব্যয় কৰিছিল। সেই সময়ৰ ব্যৱসায়-বাণিজ্যিক শিক্ষা আদিৰ ক্ষেত্ৰত আগৰণুৱা আছিল গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, হৰিবিলাস আগৰৱালা, দীননাথ বেজবৰুৱা, গংগাগোবিন্দ ফুকন, ৰাধাকান্ত সন্দিকৈ, মালভোগ বৰুৱা, কৃষ্ণকান্ত গগৈ, মাধৱচন্দ্ৰ ৰৰদলৈ, দেৱীচৰণ বৰুৱা, আনন্দৰাম বৰুৱা, ৰাধানাথ চাংকাকতী, ৰহমত আলীমুন্সী, জালনুৰ আলী আহমেদ, বলীনাৰায়ণ বৰা, লক্ষ্মীনাথ বেজবৰুৱা, মাণিকচন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, কমলাকান্ত ভট্টাচাৰ্য, শৰৎ চন্দ্ৰ গোস্বামী, মহামহোপাধ্যায় দীৱেশ্বৰ ভট্টাচাৰ্য, নাৰায়ণ মিশ্ৰ, প্ৰভাত চন্দ্ৰ বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা আদি। এই সকলৰ প্ৰায়ভাগে অসমৰ সাহিত্য-সংস্কৃতিৰ স'তে জড়িত আছিল। তাৎপৰ্যপূৰ্ণ যে উদ্যোগ-বাণিজ্যৰ স'তে জড়িত এইসকলৰ পৃষ্ঠপোষকতাতে অসমৰ সাংবাদিকতা আৰু সাহিত্যই অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। হেমচন্দ্ৰ বৰুৱা 'আসাম নিউজ', গুণাভিৰামৰ 'আসাম বন্ধু' (১৮৮৫), চন্দ্ৰ কুমাৰ, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত 'জোনাকী' (১৮৮৯), পদ্মনাথ গোহাঞিবৰুৱা আৰু বেণুধৰ ৰাজখোৱাৰ চেষ্টাত 'বিজুলী' (১৮৯০) প্ৰকাশ পায়। পদ্মনাথ গোহাঞিবৰুৱাৰ 'উষা' (১৯০৭), বেজবৰুৱাৰ 'বাঁহী' (১৯০৯), অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'চেতনা' (১৯১৯), দীননাথ শৰ্মাৰ 'আৱাহন' (১৯২১) আদি প্ৰকাশ পায়। কালীৰাম বৰ্মন সম্পাদিত 'বিশ্ব বাৰ্তা' ঢাকাৰ পৰা প্ৰকাশ পায় ১৯১৩ চনত। 'আসাম বান্ধৱ' (১৯১২), 'কাৰ বাতৰি' (১৯১৪) আদিও প্ৰকাশ পায়। 'আসাম বিলাসিনী' (১৮৭১) প্ৰথমে মাহেকীয়া আলোচনী আছিল যদিও পাছলৈ বাতৰি কাকত হিচাপে প্ৰকাশ পায়। ১৯১৮ ত চন্দ্ৰ কুমাৰ আগৰৱালাৰ প্ৰথম 'সাদিনীয়া' প্ৰকাশ পায়। সেই কালছোৱাতে ৰাধাকান্ত সন্দিকৈ, জগন্নাথ বৰুৱা, গংগাগোবিন্দ ফুকন প্ৰভৃতি পাশ্চাত্য জীৱনধাৰাৰ প্ৰতি আকৰ্ষিত হ'লেও, তেওঁলোকে জাতীয় আদৰ্শক হৃদয়ত ৰাখি নিজকে ভাঙৰ অসমীয়া হিচাপে চিনাকি দিছিল। পৰৱৰ্তী কালত চাহ খেতিত লাগি থাকিও ৰাধাকান্তই 'মূলাগাভক' নামৰ নাট ৰচনা কৰিছিল আৰু

অসমীয়া সাহিত্যলৈ প্রভূত দান-বৰঙনি আগবঢ়াইছিল। অসমৰ দ্বিতীয়গৰাকী স্নাতক জগন্নাথ বৰুৱায়ো উচ্চখাপৰ প্রশাসনীয় চাকৰিলৈ মন নেমেলি চাহ খেতিত মনোযোগ দিয়ে আৰু তেওঁৰ উদ্যোগতে যোৰহাটৰ 'সার্বজনীন সভা' পাছলৈ 'আসাম এছ'চিয়েছন'লৈ ৰূপান্তৰিত হয়। আনহাতে, মাণিকচন্দ্র বৰুৱাৰ আঁচনি অনুসৰিয়েই চিফ্ কমিচনাৰ ছাৰ কটনে গুৱাহাটীত স্থাপন কৰিবলৈ লয় 'কটন কলেজজ'। মাণিক চন্দ্র বৰুৱা (১৮৫১-১৯১৫) গুৱাহাটীৰ হাইস্কুল আৰু কলিকতাৰ প্রেচিডেন্সী কলেজৰ পৰা শিক্ষা লাভ কৰি ব্রিটিছৰ সহযোগী হিচাপে ব্যৱসায় আৰম্ভ কৰে। কেইবাখনো চাহ বাগিচাৰ উপৰি তেওঁ এখন পানী জাহাজ, এটা ৰৰফৰ কাৰখানা আৰু কেইবাটাও কাঠৰ কল চলাইছিল। বৰুৱা অসম লেজিছলেটিভ কাউন্সিলৰ সদস্য, অবৈতনিক দণ্ডাধীশ আৰু পৌৰসভাৰ সভাপতি আছিল। সাপ্তাহিক ইংৰাজী 'আসাম নিউজ' আৰু 'আসাম প্রন্টিং কর্পোৰেচন'ৰ স'তে বৰুৱা জড়িত আছিল। জাহাজেৰে চেনি আনি গুৱাহাটীৰ যিটো অঞ্চলত জমা কৰি ৰাখিছিল, সেই অঞ্চলটোৱেই পৰৱর্তী কালত চেনিকুঠি হৈ পৰে। ৰাধানাথ চাংকাকতিৰ এটা ছপাশাল আছিল আৰু ১৮৯৫ত 'টাইমছ অৱ আসাম' নামৰ সাপ্তাহিক ইংৰাজী কাকত এখন প্রকাশ কৰে। 'অসম হিতৈষী'ৰ সম্পাদক কমলাকান্ত ভট্টাচার্যই দেশপ্রেমৰ কবিতা ৰচনা কৰিছিল। দেশপ্রেমৰ অগ্নি স্ফুলিংগ কমলাকান্তই ৰবৰ খেতি আৰু আন আন ব্যৱসায়তো হাত দিছিল। ৰায়বাহাদুৰ বিষ্টুৰাম বৰুৱা ঠেঙালবাৰীত চাহ বাগিচা আৰম্ভ কৰে আৰু পাছলৈ দুখন চাহ বাগিচাৰ স্বত্বাধিকাৰী হয়। তেওঁৰ পুত্র শিৱপ্রসাদ বৰুৱা উদ্যোগত বাগ্মীবৰ নীলমণি ফুকনৰ সম্পাদনাত অসমীয়া 'দৈনক বাতৰি' প্রকাশ পায়। বিষ্টুৰাম বৰুৱা ভাৰতীয় চাহ বাগিচাৰ মালিকসকলৰ ভিতৰত সবাতোকৈ আঢ্যৱন্ত আছিল। বৰুৱাৰ বংশধৰ হেমেন্দ্র প্রসাদ বৰুৱা ভাৰতীয় চাহ সংস্থাৰ প্রথমগৰাকী অসমীয়া আৰু তেওঁ 'বেংগল চেম্বার্হ অৱ কমার্চ'ৰৰা সভাপতি হয়। পৰাধীনতাত ভুগিলেও এই কালছোৱাকে অসমৰ উদ্যোগ-বাণিজ্য আৰু সাহিত্য-সংস্কৃতিৰ বিকাশৰ 'স্বর্ণযুগ' বুলি ক'ব পাৰি। এই সময়ছোৱাতে আধুনিক অসমীয়া ভাষাই অস্তিত্ব সংগ্রাম পাৰ কৰি শক্তিশালী ভূমিকা গ্রহণ কৰে। অসম সাহিত্য সভা, অসম ছাত্র সম্মিলনীৰ জন্মও এই কালছোৱাতে হয়। সবাতোকৈ উল্লেখনীয় যে ব্রিটিছৰ স'তে ফেৰ মাৰি তেওঁলোক আগবাঢ়ি যাবলৈ সক্ষম হৈছিল। উদ্যোগ-বাণিজ্যৰ প্রসাৰে সামগ্রিকভাৱে এখন সমাজৰ উন্নতিত কি ধৰণে প্রভূত অৰিহনা যোগায় তাৰ দৃষ্টান্ত মার্ক-এঞ্জেলছে এনেদৰে দাঙি ধৰিছে— 'বুর্জোৱা শ্রেণীয়ে অতি দ্রুতগতিত উৎপাদনৰ আহিলাসমূহৰ উন্নতি সাধন কৰাৰ মাজদি, যোগাযোগ ব্যৱস্থা সা-সুবিধা বহুদূৰ আগবঢ়ায় নিয়াৰ মাজেদি সকলো জাতিকে আনকি অতি অসভ্য জাতিবিলাককো সভ্যতাৰ পথলৈ আনিছে।' বাণিজ্যৰ জৰিয়তে শোষণৰ উদ্দেশ্যে ভাৰতবর্ষলৈ ব্রিটিছৰ আগমন হৈছিল যদিও তেওঁলোকৰ পৰিৱর্তন আনি দিছিল। ব্রিটিছৰ আগমনত ভাৰতীয় সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ আদিক যুক্তিৰ শানত ঘাঁহি ইতিহাসৰ নর্দমালৈ দলিয়াই দিয়া হ'ল। ব্রিটিছেই বিশেষকৈ আইনৰ শাসনৰ ভিত্তি ৰচনা কৰে। কিন্তু ব্রিটিছৰ কালৰ উদ্যোগ-বাণিজ্যৰ ধাৰাটো পাছলৈ বর্তাই ৰাখিব পৰা নগ'ল

উল্লেখযোগ্য যে কৌটিল্যৰ সময়ৰ পৰাই অর্থনৈতিক দিশটোৰ নিয়ন্ত্রণৰ ওপৰত গুৰুত্ব দি অহা হৈছে বুলি ইতিহাসে কয়। আজিৰ পৰা চাপে পাঁচশ বছৰ আগতেও শ্রীমন্ত শংকৰদেৱে আধ্যাত্মিক আৰু সুস্থ-সামাজিক পটভূমি গঢ়ি তোলাৰ উদ্দেশ্যে এক সুচিন্তিত অর্থনৈতিক কার্যসূচী ৰূপায়ণ কৰিছিল। নাম-প্রসংগৰ পাছত তিওৱা বুট-মাহ (গাজী), নাৰিকল, কল-কুঁহিয়াৰ আদি বিবিধ ফলৰ উপৰি আদা, নিমখ ইত্যাদি মিহলাই খোৱা প্রথা প্রবর্তন কৰিছিল, যিখিনি প্রসাদ শৰীৰৰ বাবে অতিকৈ পুষ্টিকৰ। প্রতিটো পৰিয়ালতে নাৰিকল, তামোল-পাণ, কল, কুঁহিয়াৰ, আম, জাম আদিৰ খেতি কৰিবলৈ উৎসাহ দিয়া হৈছিল আৰু তাৰ ফলস্বৰূপে প্রতিখন বাৰীয়ে দেশৰ ভিতৰতে অনন্য ৰূপ পাইছিল। অসমৰ বাহিৰৰ উত্তৰ আৰু মধ্য ভাৰতৰ ক'তোৱেই এনেদৰে ঘৰে ঘৰে প্রয়োজনীয় ফল-মূলৰ বাৰী দেখিবলৈ পোৱা নাযায়। তদুপৰি নাম-কীর্তনৰ অন্তত আন আন ঠাইত চেনিত ভজা বুট মাহ বা বুন্দিয়াৰ লাড়ুহে বিতৰণ কৰা দেখা যায়। মন কৰিবলগীয়া এইটোৱে যে মান প্রসাদ দিয়া এই পথাটো আমাৰ ৰাজ্যখনৰ পূজা-পার্বণ আদিতো গ্রহণ কৰা হৈছে। ইয়াতে ক্ষান্ত নাথাকি শংকৰদেৱে খোল, ভোৰতাল, খুটিতাল, কাঁহী-বাতি আদি নির্মাণৰ অর্থে গাঁৱে-গাঁৱে কুটীৰ শিল্পৰ কেন্দ্র গঢ়ি তুলিছিল। প্রায়বোৰ গাঁৱতে নামঘৰৰ স'তে একোটা পুখুৰী আছিল য'ত মাছ পোহা হৈছিল আৰু সেই মাছ খোৱাৰ বাবে উপাদেয় আছিল। নামঘৰসমূহৰ 'শুৰু আসন'বোৰ সংস্কৃতিৰ অপূর্ব নিদর্শন বুলি ইউৰোপ ভ্রমণ কৰি অহাৰ পাছত জ্যোতিপ্রসাদ আগৰৱালাই মন্তব্য কৰিছিল। অসমৰ লক্ষাধিক নামঘৰৰ বাবে শুৰু আসন নির্মাণ কৰা কার্যত অসংখ্য লোক ব্রতী হৈছিল। ভকতসকলে ব্যৱহাৰ কৰা ফুলাম গামোচা এতিয়া সর্বজনপ্রিয়

হৈ উঠিছে আৰু তাঁতশালৰ ব্যাপক প্ৰসাৰো সেই সময়তে হৈছিল। নামঘৰ নিৰ্মাণ, গুৰু আসন নিৰ্মাণ, ঘোৰা-কটা, বিবিধ ফল মূলেৰে বাৰী আদি গঢ়া কামৰ নৃত্য-গীত-ভাওনা আদিৰ জৰিয়তে সকলোৱে কৰ্মব্যস্ত থাকিব লগীয়া হৈছিল। সুস্থ সমাজ গঢ়াৰ ইয়েই আছিল আধাৰশিলা। এই প্ৰসংগতে উল্লেখ কৰা ভাল হ'ব যে শংকৰদেৱৰ অন্যতম প্ৰধান শিষ্য নাৰায়ণ ঠাকুৰ ব্যৱসায়ী আছিল আৰু অৰ্থনৈতিক কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত তেওঁৰ বিশেষ ভূমিকা ল'ৰলৈ দিয়া হৈছিল। মাধৱদেৱকো এই ক্ষেত্ৰত দিহা-পৰামৰ্শ দিবলৈ কোৱা হৈছিল বুলি জনা যায়। ৰৰৱৰুৱাইও বিশেষ ভূমিকা লৈছিল। গতিকে সেই ধাৰাটোক আমি পুনৰ উজ্জীবিত কৰাৰ লগতে বিজ্ঞান-প্ৰযুক্তিৰ শেহতীয়া ধাৰাটোৰ স'তে সমন্বয় সাধন কৰিব লাগিব। ইয়াৰ ফলত চহৰমুখী প্ৰব্ৰজনৰ প্ৰৱণতাৰ মাত্ৰাধিক্যও হ্ৰাস পাব। শংকৰদেৱৰ বিশেষ প্ৰভাৱ থকা ৰৰপেটা, ওৱালকুছি আদিৰ লোকসকল আজিও ব্যৱসায়-বাণিজ্যত আগৰণুৱা হোৱাটো তাৎপৰ্যপূৰ্ণ। সাম্প্ৰতিক কালৰ পৰিস্থিতিত নতুন দৃষ্টিভংগীয়ে সাংগঠনিক কামত ব্ৰতী হ'লেহে দৰাচলতে আৰ্থিকভাৱে সফল সমাজ এখন পোৱাটো সম্ভৱ হ'ব। এই ক্ষেত্ৰত যদিহে আমি শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক ব্ৰতী কৰাব পাৰো তেন্তে আমাৰ অগ্ৰগতিৰ ধাৰাটো হ'ব অধিক খৰমান আৰু বিশ্বত এনে শক্তি নোলাব যিয়ে বিকাশৰ এই গতিক বাধা দি বাখিব পাৰিব। আমাৰ শিক্ষা ব্যৱস্থাৰ মূল ত্ৰুটি এইখিনিতে যে অৰ্থনীতি, সমাজনীতি, ভূগোল, বুৰঞ্জী, কৃষি আদিৰ শিক্ষকসকলে পৰীক্ষাত ছাত্ৰ-ছাত্ৰীক উত্তীৰ্ণ কৰোৱাৰ বাবেহে শিক্ষাদান কৰে। শিকোৱাখিনিকো যে ব্যৱহাৰিক দিশত প্ৰয়োগ কৰিব পৰা যায় তেনে দিশত মনোনিবেশ কৰাৰ প্ৰয়োজনবোধ নকৰে। একেদৰে ছাত্ৰ-ছাত্ৰীসকলেও পৰীক্ষাত উত্তীৰ্ণ হ'ব বাবেহে সেই বিষয়সমূহৰ পাঠগ্ৰহণ কৰে আৰু ব্যৱহাৰিক দিশত তেনে শিক্ষাক প্ৰয়োগ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰে। এই ধাৰাটো আমি সলনি নকৰালৈকে সকলোৱে বাবে কৰ্মসংস্থান যিদৰে সম্ভৱ নহ'ব, তেনেদৰে অৰ্থনৈতিক বিকাশো আকাশ-কুসুম হৈয়ে থাকিব। অৰ্থনীতি, ৰাজনীতি, বাণিজ্য, কৃষি আদি বিভাগৰ শিক্ষকসকলে শিক্ষাদান কৰাৰ সময়তে সেইবোৰৰ ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগৰ ব্যৱস্থাও কৰিবলৈ অগ্ৰসৰ হ'ব লাগিব আৰু ছাত্ৰ-ছাত্ৰীসকলকো তাৰ বাবে অনুপ্ৰাণিত কৰি তুলিব লাগিব। আমাৰ শিক্ষানুষ্ঠানসমূহক ব্যৱহাৰিক ক্ষেত্ৰত কৰ্মস্থানলৈ ৰূপান্তৰিত কৰাৰ থল আছে। শিক্ষাৰ ক্ষেত্ৰত এইদৰে আমূল পৰিবৰ্তন ঘটাব পাৰিলে কৰ্মসংস্থানৰ বাবে হাহাকাৰ কৰি থকাসকলক বহু পৰিমাণে সকাহ দিব পৰা যাব বুলি আমাৰ ধাৰণা। দৰাচলতে এই ধাৰাৰে আগবাঢ়িব পাৰিলে প্ৰতিটো শিক্ষানুষ্ঠানেই একোটি বিকাশৰ গৱেষণাগাৰ হৈ উঠিব পাৰে। তদুপৰি কুটীৰ শিল্প আৰু কৃষি বিষয়ৰ শিক্ষা সকলোৰেৰ বাবে অৱশ্যে পাঠ্য হোৱা উচিত। দ্বিতীয়তে, অসমৰ প্ৰতিটো শিক্ষানুষ্ঠানৰ চৌহদত প্ৰচুৰ মাটি অপব্যৱহৃত হৈ পৰি আছে। বিদ্যালয়ৰ পাঠদানৰ অন্তত সেইবোৰত ফল-মূলৰ খেতি কৰিব পাৰিলে তাৰ সুফল ছাত্ৰ-ছাত্ৰীসকলে ভোগ কৰিব পাৰে আৰু তাৰ লগে লগে কৰ্মসংস্কৃতিৰ স্ফুৰণো হোৱাৰ থল থাকে। এই ক্ষেত্ৰত চৰকাৰৰ স'তে সহযোগিতা কৰি বেৰ আদি দিয়াৰ ব্যৱস্থা কৰাৰ সুযোগ আছে। কৃষি, ব্যৱসায়-বাণিজ্য, ক্ষুদ্ৰ উদ্যোগ বৃহৎ উদ্যোগ ইত্যাদিৰ জৰিয়তে প্ৰত্যেক আত্মসংস্থাপনৰ বাট উলিয়াই ল'ব লাগিব।

ইয়াৰ বাবে আমাৰ দৃষ্টিভংগীৰ আমূল পৰিবৰ্তন ঘটোৱাৰ প্ৰয়োজন আহি পৰিছে। এতিয়া 'জয় আই অসম'ৰ লগতে ধ্বনি দিয়াৰ প্ৰয়োজন হৈছে 'জয় আই ধৰিত্ৰী'ৰ। এই যুগত কোনো এখন দেশ বা সমাজে অকলশৰীয়াকৈ কোনো দ্বীপৰ বাসিন্দা হৈ থাকিব নোৱাৰে। তদুপৰি প্ৰাকৃতিক ভাৰসাম্য বক্ষাৰ হেতুকেও ইখন দেশ আনখনৰ ওচৰত নিৰ্ভৰশীল হ'ব লগাত পৰিছে। চীন দেশত প্ৰবল বানপানী হোৱা হেতুকে এই বছৰ অসমতো অভূতপূৰ্ব বানপানী হ'বলৈ পাইছে। অৰুণাচলৰ গছ-গছনি নাইকিয়া হোৱা হেতুকে ভূমিভাগ ধৰি বাখিব নোৱাৰা হৈছে আৰু তাৰ ফলস্বৰূপে বালিৰ ঢলে ব্ৰহ্মপুত্ৰক বাম কৰি পেলাইছে। মেঘালয়ৰ পৰা অহা পানীৰ ঢলে এইবাৰ কৃষ্ণাইৰ কেইবাশ কৃষকক উটুৱাই নিছে। মধ্যপ্ৰাচ্যত খাদ্যৰ তেলৰ দাম বাঢ়িলে অসমতো নিত্য ব্যৱহাৰ্য দুবাবোগ্য ব্যাধিৰ ঔষধ আবিষ্কাৰ কৰিলে অসমৰ বোগীয়ে স্বস্তিৰ নিশ্বাস কাঢ়ে। তেনেদৰে ভাৰতবৰ্ষৰ ভিতৰৰে বাজ্যসমূহ এতিয়া পাৰস্পৰিকভাৱে অধিক নিৰ্ভৰশীল হ'ব লগা পৰিছে। আনকি প্ৰাকৃতিক ভাৰসাম্য হেকওৱা হেতুকে উত্তৰ মেৰুৰ ববফ গলা বাবে সমগ্ৰ পৃথিবীৰ উত্তাপ বৃদ্ধি পাইছে। গতিকে আমাৰ দৃষ্টিভংগী এতিয়া কেবল অসমতে সীমাবদ্ধ কৰি বাখিলে নহ'ব। সমগ্ৰ বিশ্বত কি ঘটিব ধৰিছে সেই বিষয়েও সজাগ হ'ব লাগিব। অসমৰ উন্নতি কৰিব লাগিলেও শেহতীয়া বিজ্ঞান-প্ৰযুক্তিৰ সঁজুলিসমূহৰ ব্যৱহাৰ অবিহনে আমি আন দেশৰ স'তে কেৰ মাৰি যাব নোৱাৰিম। ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ কৰিবলৈও আধুনিক বাস্ত্ৰিক প্ৰক্ৰিয়াৰে নদীৰ বালিবোৰ দুৱোপাৰত বাখি বাঁহৰ খেতি কৰি বান নিয়ন্ত্ৰণৰ লগতে

আর্থিকভাৱেও লাভৱান হোৱাৰ থল আছে। মন কৰিবলগীয়া এইটোৱেই যে এই যুগত যিখন সমাজৰ লোকে বহল দৃষ্টিভংগী ল'ব পাৰিছে সেইখন নিজৰ বিকাশ সাধন কৰিবলৈ সক্ষম হৈছে। কিন্তু এইদৰে আনক জানিবলৈ প্ৰয়াস কৰাৰ মৰ্যাদাসম্পন্ন জাতিৰ লোকে নিজৰ কলা-সংস্কৃতিৰ স'তে আপোচ নকৰে। অৱশ্যে এইটো নহয় যে সময়ৰ স'তে সংস্কৃতিৰ ৰূপান্তৰ ঘটাবলৈ বিচৰাটো অন্যায়। নিজৰ মাটিত দৃঢ়তাৰে যিখন সমাজৰ লোকে খোপনি পুতি থাকিব পাৰে আৰু সময়ৰ স'তে ৰূপান্তৰ ঘটালেও মৌলিক দৃষ্টিভংগীৰ পৰিৱৰ্তন নঘটায় সেইখন সমাজেই সাংস্কৃতিক ঐতিহ্য অটুট ৰাখিবলৈ সক্ষম হয়। ই আত্মমৰ্যাদাসম্পন্ন জাতিৰ লক্ষণ। কিন্তু আত্মমৰ্যাদাহীন হীনমন্যতাত ভোগা জাতিৰ লোকে সততে আনক অনুসৰণ কৰি ভাল পায় আৰু নিজৰটোক হীন বুলি ধাৰণা কৰি পৰিত্যাগ কৰিবলৈ বিচাৰে। অসমীয়াসকলেও নিজৰ ভালখিনি অটুট ৰাখি কিদৰে তাক বিশ্ব দৰবাৰত দাঙি ধৰিব পাৰি সেই বিষয়ৰ চিন্তা-চৰ্চা কৰা উচিত; কিন্তু পৰিতাপৰ বিষয় এইটোৱেই যে অসম বুলিয়েই নহয়, ভাৰতৰ আন আন ৰাজ্যৰ লোকসকলো কম-বেছি পৰিমাণে হীনমন্যতাত ভোগা হেতুকে প্ৰয়োজনীতকৈ বেছিকৈ বাহিৰৰ সংস্কৃতিক অন্ধভাৱে অনুসৰণ কৰিছে। সুদীৰ্ঘ কাল ধৰি বিদেশীৰ অধীনত থকা হেতুকে ভাৰতীয়সকল এনে মানসিকতাৰ বলি হ'ব লগাত পৰিছে। তাতোকৈ বিস্ময়ৰ কথা এইটোৱে যে ব্ৰিটিছৰ অধীনত থকা কালছোৱাত ভাৰতীয়সকলে নিজৰ সংস্কৃতি আৰু অৰ্থনৈতিক পৰম্পৰা অটুট ৰাখিবলৈ সংগ্ৰামী মানসিকতা গঢ়ি তুলিছিল আৰু আশা কৰা হৈছিল যে দেশে স্বাধীনতা লাভ কৰাৰ পাছত সেই সংগ্ৰাম দৃঢ়তৰ হ'ব। কিন্তু ব্ৰিটিছ আঁতৰি যোৱাৰ পাছত গোলামী মানসিকতাৰ অধিক প্ৰসাৰহে ঘটিল আৰু স্বকীয় বৈশিষ্ট্য বিসৰ্জন দি জধে-মধে বিদেশী সংস্কৃতিৰ ধাৰাটোক গ্ৰহণ কৰিবলৈ অনুসৰণ কৰিবলৈ লোৱাৰ ফলস্বৰূপে বিজতৰীয়া সংস্কৃতিয়ে আমাৰ ঐতিহ্যৰ ওপৰত প্ৰচণ্ড আঘাত হানিব পাৰিছে। আনকি আমাৰ ভাষাৰ বিজ্ঞানসম্মত সম্বোধনবাচক শব্দ 'মা', দেউতা'ৰ ঠাইত দাদী, মামী আৰু ৰৰদেউতা, মাজুদেউতা, সৰুদেউতা , ৰৰমা, মাজুম, সৰুমা, খুড়ীদেউৰ লগতে মোমাইদেউ, মামীদেউ আদি শব্দক 'আংকল' আৰু 'আণ্টিলৈ' সৰলীকৃত কৰি আমাৰ ভাষাৰ মৰ্যাদাৰ ওপৰত চৰম আঘাত হনা হৈছে। দৰাচলতে আমাৰ ভাষাৰ শব্দবোৰহে ইংৰাজী অভিধানত স্থান পোৱাটো উচিত, কিয়নো আমাৰ সম্বন্ধবাচক শব্দবোৰে সংশ্লিষ্ট ব্যক্তিক নিৰ্দিষ্টকৈ বুজায়। স্বাধীন ভাৰতবৰ্ষত এতিয়া নগৰৰ নামফলকবোৰ ভাৰতীয় ভাষাত লিখাবলৈ আন্দোলন কৰিব লগা হৈছে। বাংলা ভাষাত যাতে নামফলক লিখা হয়, তাৰ বাবে কলকাতাত সুনীল গংগোপাধ্যায়ৰ নেতৃত্বত আন্দোলন চলোৱা হৈছে। আমাৰ গুৱাহাটীৰো নামফলকবোৰৰ নব্বৈ শতাংশই ৰোমানলিপিত লিখা হৈছে। ইয়ৰ বিপৰীতে আমাৰ চুবুৰীয়া থাইলেণ্ডলৈ চালে দেখিবলৈ পোৱা যায় যে সেইখন দেশৰ ৰাজধানী বেংকক মহানগৰীৰ নিৰানব্বৈ শতাংশ নামফলকে তাই ভাষাত লিখা হৈছে, অথচ বহির্বাণিজ্যৰ ক্ষেত্ৰত থাইলেণ্ড ভাৰতবৰ্ষতকৈ বহু বেছি আগবঢ়া। ইংৰাজী ভাষাত নামফলক নিলিখা হেতুকে অথবা সেই দেশৰ লোকে বিদেশী ভাষা নজনা হেতুকে তেওঁলোক বহির্বাণিজ্যৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধাৰ সম্মুখীন হোৱা নাই। ভাৰতীয় আৰু সেইখন দেশৰ মানুহৰ মানসিকতাৰ পাৰ্থক্য এইবাবে হ'বলৈ পাইছে যে ভাৰতবৰ্ষ সুদীৰ্ঘকাল বিদেশীৰ অধীনত আছিল আৰু থাইলেণ্ড কোনোদিনে বিদেশীৰ অধীন হোৱা নাছিল। এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে এই যুগত বিদেশী ভাষাৰ জ্ঞানৰ আৱশ্যক হ'লেও মাতৃভাষাৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব দিয়াটো নিতান্তই উচিত। হীনমন্যতাৰ হেতুকে আমাৰ সমাজত বিদেশী ভাষা শিক্ষণৰ ক্ষেত্ৰত বেছি গুৰুত্ব দিয়া হৈছে। অৱশ্যে ইংৰাজী মাধ্যমৰ শিক্ষা সম্প্ৰসাৰণৰ হেতুকে অসমীয়া ভাষা-সাহিত্যৰ বিকাশ সংকুচিত হ'ব বুলি বহুতে ধাৰণা কৰাৰ দৰে আমি নাভাবো। মাতৃভাষাৰ প্ৰতি আকৰ্ষণ আকৌ যে এদিন ঘুৰি আহিব সেই বিষয়ত সন্দেহ নাই। অৱশ্যে বিদেশী ভাষাৰ মাধ্যমৰ বিদ্যালয়সমূহত যাতে মাতৃভাষাকো অৱশ্যপাঠ্য হিচাপে লোৱা হয়, তাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনোৱা হ'ব; কিন্তু এইটোও মন কৰিব লগা যে কেতবোৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ত ইংৰাজী লগতে অসমীয়াৰো দক্ষতাৰে পাঠদান কৰা হয় আনহাতে, আমাৰ ভণ্ডামি এইখিনিতেই ওলায় যে সভাই-সমিতিয়ে ইংৰাজী মাধ্যমৰ শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত বিৰূপ মন্তব্য কৰাসকলৰেই বহুতে নিজৰ সতি-সন্ততিক তেনেকুৱা বিদ্যালয়লৈ পঠিয়ায়। তদুপৰি মাতৃভাষাৰ মাধ্যমত শিক্ষাদানৰ ক্ষেত্ৰত যি শোচনীয় পৰিস্থিতিৰ উদ্ভৱ হৈছে, তাৰ প্ৰতি মনোনিবেশ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰাটো বিস্ময়ৰ কথা। জৰাজীৰ্ণ বিদ্যালয়গৃহত ৰাজ্যৰ ৯৯ শতাংশ ছাত্ৰই যিদৰে মাতৃভাষাৰ মাধ্যমত শিক্ষালাভ কৰিছে সংশ্লিষ্ট সেই সকলো দিশত মনোনিবেশ কৰাটোহে বাঞ্ছনীয়। সেয়ে নহ'লে ৰাজ্যখনৰ শিক্ষা ব্যৱস্থা পিছ পৰি যাব। তদুপৰি শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক ঐক্যবদ্ধ কৰাৰ

লগতে সামাজিকভাবে দায়বদ্ধ আৰু স্বদেশপ্রেমী কবি গঢ়ি তুলিব লাগে যদিও শিক্ষাদানত থকা বৈষম্যই অনৈক্য আৰু হতাশাৰহে সৃষ্টি কৰিছে। আমাৰ বোধেৰে ভূগোল আৰু বুৰঞ্জীৰ শিক্ষাদান অবিহনে মাধ্যমিক স্তৰৰ শিক্ষা সম্পূৰ্ণ হ'ব নোৱাৰে। শিক্ষা ব্যৱস্থাত থকা এই বিশৃংখলা আঁতৰাবই লাগিব।

আনহাতে, সাংস্কৃতিক দিশত দেখা দিয়া আটাইবোৰ খেলিমেলি আঁতৰাবলৈ হ'লে এক সাংস্কৃতিক আন্দোলনৰ প্ৰয়োজন জৰুৰী হৈ পৰিছে। এই আন্দোলনৰ ধ্বনি হ'ব লাগিব— 'আমাৰ ঐতিহ্য-সংস্কৃতিৰ ভালখিনি অটুট ৰাখিম আৰু অধিক বিকশাই তুলিম।' এই ধ্বনি কেবল লিখাতে আবদ্ধ নাৰাখি বাস্তৱ জীৱনত কাৰ্যকৰী হোৱাকৈ ব্যৱহাৰ কৰিবলৈ লোৱাটো প্ৰত্যেকৰে কৰ্তব্য হোৱাটো বাঞ্ছনীয়। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ আচাৰ-ব্যৱহাৰ, খোৱা-লোৱা, সাজ-পাৰ আদিৰ প্ৰতি সচেতন হোৱাটো বাঞ্ছনীয়। অন্ততঃ বছৰত এদিনৰ বাবে হ'লেও আমি নিৰ্ভাজ জাতীয় পৰম্পৰা ৰক্ষা কৰিবলৈ চেষ্টা চলোৱাটো বাঞ্ছনীয়। এই ক্ষেত্ৰত আমি ব'হাগ বিহুৰ দিনটোকে বাছি ল'ব পাৰো। সেই দিনটোত পিন্ধা-উৰা, খোৱা-বোৱা, গীত-মাত আদিৰ ক্ষেত্ৰত পৰম্পৰাগত ঐতিহ্য অটুট ৰাখিবলৈ চেষ্টা চলাব পাৰো। নতুন প্ৰজন্মৰ আচাৰ-ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়াটোও বাঞ্ছনীয়। আমাৰ ল'ৰা-ছোৱালীয়ে জ্যেষ্ঠজনক সম্মান জনাব নাজানে বুলি বহুতে অভিযোগ কৰা শুনিবলৈ পোৱা যায়। অৱশ্যে এনে অভিযোগ সম্পূৰ্ণৰূপে সঁচা বুলি ক'ব নোৱাৰি। আমি লগ পোৱা ল'ৰা-ছোৱালীবোৰৰ প্ৰায়ভাগৰে আচাৰ-ব্যৱহাৰত মুগ্ধ হ'ব পাৰিছো। সি যিয়ে, নহওক, ব'হাগৰ প্ৰথম দিনটোত ল'ৰা-ছোৱালীবোৰে যাতে পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী আৰু জ্যেষ্ঠসকলক পৰম্পৰাগতভাবে সেৱা-সংকাৰ কৰি জাতীয় উদ্বুদ্ধ হৈ আশীৰ্বাদ লয় তাৰ নিৰ্দেশনা দিয়াটো বাঞ্ছনীয়। সেই আদৰ্শৰ অনুভূতি সুপ্ত অৱস্থা প্ৰত্যেকৰে মনত আছে, কেবল জগাই তোলাৰহে প্ৰয়োজন হৈছে। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে অসমীয়াসকল জন্মগতভাবেই সাহিত্য আৰু শিল্পানুৰাগী। যদিও সাহিত্য আৰু শিল্পকলাক ভিন্ন দৃষ্টিৰে চাবলৈ লোৱা হয়, দৰাচলতে দুয়োটাৰ মাজত গভীৰ যোগসূত্ৰ আছে, কিয়নো সাহিত্যও কলাৰ অন্তৰ্ভুক্ত। কোনো এজন লোক সাহিত্যকৰ্মৰ সংতেই জড়িত থাকক মূলতঃ তেওঁ শিল্পী। সুৰুচিসম্পন্ন মানসিকতা অবিহনে শিল্পী হ'ব নোৱাৰে। প্ৰতিজন অসমীয়াৰে একোটি সুৰুচিসম্পন্ন মন থকা হেতুকে সাহিত্য-শিল্পৰ প্ৰতি অনুৰাগ গঢ়ি উঠে। ই অসমীয়াৰ স্বভাবজাত চৰিত্ৰ। সেইবাবে সাহিত্য সভাৰ অধিৱেশনলৈ আহে। এই তাড়না নিঃসন্দেহে শিল্পীমনৰ। বিশেষকৈ পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, অম্বিকাগিৰী ৰায়চৌধুৰী প্ৰমুখে প্ৰাতঃস্মৰণীয় ব্যক্তিসকল অসম সাহিত্য সভাৰ সংতে জড়িত হোৱা হেতুকে সাহিত্য সভাৰ প্ৰতি এক গভীৰ আবেগজনিত সম্পৰ্কও গঢ়ি উঠিছে। আবেগিক সৃষ্টিৰ পথেদি যুক্তিসম্মতভাবে আগবঢ়াই নিব পাৰিলে তাৰ দ্বাৰা একোটি মহৎ কাৰ্য সম্পাদন কৰাটো সম্ভৱ হৈ পৰে। সেই অনুকূল পৰিৱেশ আমি পাইছো। সাধাৰণতে সাহিত্যৰ প্ৰতি অনুৰাগ গঢ়ি তোলাটো এক কঠিন কাম। অতি সুখৰ কথা যে সেই অনুৰাগ অসমৰ বাইজৰ মনলৈ স্বতঃস্ফূৰ্তভাবেই আহিছে। অসম সাহিত্য সভাৰ অধিৱেশনসমূহলৈ সমবেত জনতাৰ মহাসমুদ্ৰৰ ওচৰত আমি মুৰ দোৱাইছো। সহৃদয় বাইজৰ প্ৰতি নিবেদন জনাইছো এই মঞ্চৰ পৰাই লোৱা হওক এখন সমৃদ্ধিশালী নতুন সমাজ গঢ়াৰ পদক্ষেপ : নতুন অসম আপোনালোকৰ কোনোৱে গঢ়ি দিব নোৱাৰে। নতুন অসম গঢ়াৰ মন্ত্ৰ আছে আপোনালোকৰ প্ৰত্যেকৰ হাততেই। আমাৰ প্ৰতিজ্ঞা হ'ব লাগিব অসম গঢ়াৰ মন্ত্ৰ আছে আপোনালোকৰ প্ৰত্যেকৰ হাততেই : আমাৰ প্ৰতিজ্ঞা হ'ব লাগিব নতুন অসম গঢ়িম, নতুন ভাৰতবৰ্ষ গঢ়াৰ পথ প্ৰদৰ্শক হ'ম। এই প্ৰতিশ্ৰুতি ৰক্ষাৰ প্ৰতীক হিচাপে আমি অসম সাহিত্য সভাৰ মঞ্চৰ পৰা নিবেদন জনাইছো— প্ৰত্যেকেই ন্যূনতম এখনকৈ হ'লেও পুথি হাতত লৈ ঘৰলৈ যাওক। তাত বিচাৰি পাব শংকৰদেৱ, মাধৱদেৱ, পদ্মনাথ গোহাঞিবৰুৱা, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, চৈয়দ আব্দুল মালিক প্ৰমুখে যথেণ্য ব্যক্তিসকলক। এইসকল আপোনাৰ জীৱনৰ পথ প্ৰদৰ্শক হিচাপে সহচৰ হৈ থাকিব। এইছ, চৰ্চিল বিচাৰে কৈছিল— কিতাপ এখন ফুলনি, এখনি ফলমূলৰ বাগিচা, এটি ভঁৰালঘৰ, এটি দল, যাত্ৰাপথৰ এক সংগী, এক উপদেষ্টা আৰু উপদেষ্টাৰ সমদল। কেইবা মহলীয়া অট্টালিকা, সোণ-গহনাৰ তুলনা গ্ৰন্থৰূপী মহা সম্পদৰ সংতে একে হ'ব নোৱাৰে। গ্ৰন্থই সাক্ষৰ বহন কৰি আহিছে মানৱ সভ্যতাৰ। আপোনাৰ সুখ-দুখত একমাত্ৰ গ্ৰন্থইহে নিঃস্বাৰ্থ বন্ধু হিচাপে প্ৰহৰী হৈ থাকিব। অসম সাহিত্য সভাই আৰম্ভ কৰা গ্ৰন্থ-আন্দোলনৰ সংতে আপোনালোক সহযাত্ৰী হওক। মহাত্মা গান্ধী, ৰবীন্দ্ৰ নাথ ঠাকুৰ, কবি নজৰুল, প্ৰেমচন্দ্ৰ আদিকো আপুনি ঘৰলৈ লৈ যাওক গ্ৰন্থৰ যোকোচাত। চক্ৰেটিছ, প্লেটো, এৰিষ্টটল, ৰুছো, ভল্টেয়াৰ, কাৰ্লমাৰ্ক্স প্ৰভৃতি দাৰ্শনিক পণ্ডিতক কিতাপৰ মাজত আপোনাৰ ঘৰত বন্দী কৰি

ৰাখি নিজান পৰত তেওঁলোকৰ স'তে কথা পাতক। অকল সেয়ে নহয়, গেলিলিঅ', আইনষ্টাইনৰ দৰে বিজ্ঞানীসকলকো গ্ৰন্থৰ মাধ্যমত আপোনাৰ ঘৰত বন্দী কৰি ৰাখিব পাৰে। পৃথিৱীৰ কোনো সম্পদেই গ্ৰন্থৰ স'তে তুলনা নহয়। প্ৰাচীন কালৰ চিন্তাৰাশি গ্ৰন্থত আৱদ্ধ হৈ আছে বাবে ভাৰতীয় সভ্যতা-সংস্কৃতিক লৈ আমি গৰ্ব কৰো। সমগ্ৰ মানৱ জাতিৰ সভ্যতা কিতাপত আৱদ্ধ কৰি ৰখা হৈছে। সেইবাবে সভ্য সমাজত কিতাপৰ সমাদৰ বেছি। ইলেক্টনিক প্ৰচাৰ মাধ্যমেও পাশ্চাত্যত কিতাপৰ জনপ্ৰিয়তা ম্লান কৰিব পৰা নাই। কিতাপৰ স'তে ইলেক্টনিক মাধ্যমৰ তুলনা কৰিবলৈ যোৱাটো তেনেই অবান্তৰ। কিতাপ বাদ দি ইলেক্টনিক মাধ্যমক লৈ নিজক ব্যস্ত ৰাখিব বিচাৰিলে মানুহ চিন্তাৰহিত পুতলাত পৰিণত হ'ব। অতীতত গ্ৰন্থ অধ্যয়ন সৰ্বসাধাৰণৰ বাবে নিষিদ্ধ আছিল আৰু গ্ৰন্থ অধ্যয়নৰ সুযোগ লাভ কৰিছিল সমাজ এক শ্ৰেণীৰ লোকেহে। সেয়েহে এতিয়া আমি প্ৰতিজন নাগৰিকৰ স'তে গ্ৰন্থ সুসম্পৰ্ক গঢ়ি তোলাৰ আঁচনি হাতত লৈছো। এই বছৰৰ আৰম্ভণিতে শুভেচ্ছাপত্ৰৰ সলনি গ্ৰন্থেৰে শুভেচ্ছা জনাবলৈ দিয়া আহবানক ৰাজ্যখনৰ বহু ঠাইতে সঁহাৰি জনাইছে। অসমৰ মুখ্য মন্ত্ৰীয়েও এই বছৰৰ পহিলা জানুৱাৰীত কিতাপৰ টোপোলাৰে অতিথিসকলক আদৰাৰ উপৰি সুদীৰ্ঘ বাৰ বছৰৰ মুৰত দহ কোটি টকৰ কিতাপ ক্ৰয় কৰাৰ প্ৰতিশ্ৰুতি দিছে। এই অধিৱেশনৰপৰা লোৱা অমূল্য গ্ৰন্থখনিয়ে আপোনাৰ পৰিয়ালৰ লগতে অসমৰ সাহিত্য-সংস্কৃতিৰ চেহেৰাও সলনি কৰি পেলাব পাৰে। গ্ৰন্থৰ জৰিয়তেই অসমৰ জনশক্তিৰ মাজত লুকাই থকা সুপ্ত সিংহক জাগ্ৰত কৰিব লাগিব। দুষ্কৃতি, হিংসা, সন্ত্ৰাসবাদ, দুৰ্নীতিৰ বিৰুদ্ধে গ্ৰন্থই হ'ব পাৰে সৰ্বোৎকৃষ্ট অস্ত্ৰবিশেষ। ইতিমধ্যে কোৱা হৈছে অসমৰ প্ৰতিজন মানুহেই সাহিত্যানুৰাগী; কিন্তু সেই অনুৰাগ হৃদয়ত থাকিলেই নহ'ব, তাক সজীৱ কৰিও তুলিব লাগিব। সমগ্ৰ অসমবাসীয়ে সুপ্ত এই সিংহটোক এবাৰ জগাই তুলিব পাৰিলে অসমৰ উন্নয়নৰ গতি কোনোৱে ৰোধ কৰিব নোৱাৰে। চৰিত্ৰ গঢ়িব পাৰে গ্ৰন্থই, কৰ্মসংস্থান দবি পাৰে গ্ৰন্থই, পৰিয়ালত শান্তি-সম্প্ৰীতি অটুট ৰখাৰ মন্ত্ৰও গ্ৰন্থৰ পাততে পোৱা যায়। ইহকালৰ শান্তিৰ বাবেতো কথাই নাই। পৰকালত বিশ্বাসীসকলৰ বাবেও শান্তিৰ উপাদান একমাত্ৰ গ্ৰন্থতহে আছে। গ্ৰন্থ অধ্যয়নক পৰিয়ালৰ প্ৰত্যেকে পুৰা আৰু সন্ধিয়াৰ প্ৰাৰ্থনা হিচাপে গ্ৰহণ কৰক। অনিবাৰ্যভাৱে আপোনাৰ ঘৰলৈ সুখ-শান্তি ঘুৰি আহিব।

অসম সাহিত্য সভাই মহিলাসকলকো যোগ্যস্থান দিবলৈ বিচাৰে। আমি তেওঁলোকক অৰ্ধাকাশ, অৰ্ধাংগিনী আখ্যা দি সান্ত্বনা লভিলে নহ'ব। অসম সাহিত্য সভাৰ প্ৰতিটো ক্ষেত্ৰতে ভাগ ল'বলৈ তেওঁলোক আগবাঢ়ি অহাটো বিচাৰো। মহিলাসকলে সম্মুখীন হোৱা সমস্যাসমূহ সাহিত্য সভাৰ মঞ্চত আলোচিত হ'ব লাগে আৰু সেইবোৰৰ সমাধানৰ সূত্ৰ বিচাৰি পোৱাটোও কঠিন নহ'ব বুলি ভাবো। এই ক্ষেত্ৰত দ্বিমত নাই যে সমঅধিকাৰ অবিহনে নাৰীৰ প্ৰকৃত বিকাশ সম্ভৱ নহয়। যুগ যুগ ধৰি নাৰীয়ে ভুগি অহা নিৰ্যাতনৰ অৱসান ঘটাবলৈ হ'লে নাৰী-পুৰুষ উভয়ৰ সমবেত প্ৰচেষ্টাৰেহে ই সম্ভৱ হৈ উঠিব। কিন্তু এইটোও মনত ৰখা উচিত যে নাৰীত্ব বাদ দি নাৰীবাদ হ'ব নোৱাৰে। নাৰীৰ প্ৰথম চিনাকি তেওঁ স্নেহ আৰু কৰুণাৰ উৎসস্বৰূপ মাতৃ। পৃথিৱীত 'মা', 'আই', 'মাতৃ' শব্দতকৈ মানুহৰ হৃদয় পৰশাব পৰা দ্বিতীয় শব্দ নাই। ইহুদীসকলৰ ফকৰাত কোৱা হৈছে যে ভগৱানে সকলোতে বিচৰণ কৰিব নোৱাৰে বাবে মাতৃক জন্ম দিছে। একেদৰে 'ভেনিটি ফেয়াৰ'ত থকাৰে কৈছে যে শিশুসকলৰ ওঁঠ আৰু হিয়াৰ মাজতে মাতৃৰ ৰূপত ভগৱানক পোৱা যায়। তাতোঁকৈ এখোপ আগবাঢ়ি গৈ এমাৰচনে কৈছে যে মাতৃয়ে যি ৰূপত গঢ়িব বিচাৰিছে সেই ৰূপতেই মানুহে গঢ় লৈছে। গতিকে মানৱ জীৱনত মাতৃৰ গুৰুত্ব যে অপৰিসীম সেই কথা সকলোৱে স্বীকাৰ কৰি লৈছে। সেই মাতৃত্বৰ অলংকাৰক নাৰীয়ে মৰ্যাদা দিবই লাগিব। তাৰ লগে লগে সমঅধিকাৰ লাভৰ বাবে নাৰীয়ে সংগ্ৰাম কৰিব যাব লাগিব। যুগ যুগ ধৰি নাৰীক যে অৱহেলিত কৰি ৰখা হৈছে তাত দ্বিমত নাই। আনকি প্ৰগতিশীল বুলি দাবী কৰা মাৰ্কিন যুক্তৰাষ্ট্ৰতো আজিলৈকে এগৰাকী মহিলায়ো ৰাষ্ট্ৰপতিৰ গাদী দখল কৰিবলৈ সক্ষম হোৱা নাই। ভাৰতবৰ্ষৰ ৰাজনীতিতো মহিলাসকল ন্যায্য প্ৰাপ্তিৰ পৰা আজিও বঞ্চিত হৈয়ে আছে। এই অৱস্থাৰ পৰিৱৰ্তন ঘটাবই লাগিব। কিন্তু আমাৰ মহিলা সমাজেও তেওঁলোকৰ দায়িত্ব যথাযথভাৱে পালন নকৰিলে সমাজ সমভাৱে আগবাঢ়িব নোৱাৰে। অধিকাৰ আৰু কৰ্তব্য— একেটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। গতিকে নাৰীয়ে অধিকাৰ সাব্যস্ত কৰিবলৈ হ'লে কৰ্তব্যও যথাযথভাৱে পালন কৰিব লাগিব। অতীতৰ অসমৰ সমাজত নাভুত-নাশ্ৰুত যৌতুকৰ পয়োভৰে শেহতীয়াকৈ মাৰাত্মক ৰূপ ধাৰণ কৰিছে। নিতৌ বাতৰি কাকত মেলিলেই ইয়াৰ বাবে আজিকোপতি নিৰ্যাতন, জুই জ্বলাই পুৰি মৰা ইত্যাদি বাতৰি পঢ়িবলৈ পোৱা যায় তাৰ কাৰণ বুজি নাপাওঁ। যৌতুকৰ কাৰণে একোটি পৰিয়ালৰ স্নেহৰ ছোৱালীজনীক আন এঘৰে

বোৱাৰী কৰি অনাৰ পাছতে এনেদৰে নিদাৰুণভাৱে হত্যা কৰাটো কোনো সভ্য সমাজৰে কাম্য নহয়। পৃথিৱীৰ আন কোনো দেশত এনে ধৰণৰ ঘটনা ঘটে বুলি আমি এতিয়ালৈকে জানিব পৰা নাই। বোৱাৰীক এনেদৰে অমানুষিক অত্যাচাৰেৰে হত্যা কৰাৰ পাছত 'দশপুত্ৰ সমকন্যা' বুলি শাস্ত্ৰৰ উদ্ধৃতি দি নাৰীক ওপৰত স্থান দিবলৈ যোৱাটো হাস্যাস্পদ। কিন্তু বোৱাৰী হত্যাৰ বাবে কেৱল শহুৰ আৰু ন-কইনাৰ স্বামীয়েইজিগৰীয়া নে? প্ৰাপ্ত তথ্য অনুসৰি এনে ঘটনাত শহুৰেকসকল বেছিকৈ জড়িত হৈ আহিছে। তদুপৰি কোনো ন-বোৱাৰীৰ স্বামী অথবা শহুৰেকে নিৰ্যাতন কৰিব বিচাৰিলেও শাহুৰেক নীতিনিষ্ঠ আৰু দৃঢ়মতত অৱস্থান কৰিলে নিশ্চয় এনে অপকৰ্ম সম্ভৱ হ'ব নোৱাৰে। তদুপৰি নাৰীৰ সম-অধিকাৰ দৰাচলতে প্ৰথমে নিজৰ ঘৰখনতহে সাব্যস্ত কৰিব লাগিব। তাকে কৰিবলৈ হ'লে জী-বোৱাৰী আৰু পুত্ৰৰ প্ৰতি মাতৃয়ে সমভাৱ প্ৰদৰ্শন কৰিব পাৰিব লাগিব। পৰিতাপৰ বিষয় এইটোৱে যে অসমৰ মহিলা সমাজে আজিকোপতি যৌতুকৰ বাবে বোৱাৰী হত্যাৰ ক্ষেত্ৰত কোনো ধৰণৰ দৃঢ় পদক্ষেপ লোৱা দেখিবলৈ পোৱা নাই। যদিহে শীঘ্ৰে এইক্ষেত্ৰত পদক্ষেপ লোৱা নহয়, তেন্তে অন্যান্য ৰাজ্যত চলিত থকা যৌতুকৰ সংক্ৰামক ব্যাধিৰ ভয়াৱহ সংক্ৰমণে আমাৰ সমাজকো গ্ৰাসক কৰি পেলাব আৰু তাৰ ফলস্বৰূপে আমি ভয়ংকৰ পৰিণতিৰ সম্মুখীন হ'ব লাগিব। পুৰুষ-মহিলাৰ ঐকাবদ্ধ প্ৰচেষ্টাইহে এই ক্ষেত্ৰত অধিক সক্ৰিয় ভূমিকা ল'লে সুফল পোৱা যাব। অসমৰ পাঁচ লক্ষ বিষয়া-কৰ্মচাৰীৰ মাজৰ পৰা এনে এগৰাকী মহিলা ওলোৱা নাই যিগৰাকীয়ে তেওঁৰ স্বামীৰ দুৰ্নীতি কৰি পোৱা ধন ঘৰলৈ অনাত বাধা দান কৰিছে আৰু তেওঁৰ প্ৰতিবাদ আমি কাকতত পঢ়িবলৈ পাইছো। তাৰ সৰল অৰ্থ - সম্প্ৰতি আমাৰ সমাজত চলি থকা দুৰ্নীতিৰ অংশীদাৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে মহিলাসকলো হৈ পৰিছে। আমাৰ সমাজত দুৰ্নীতিমুক্ত কৰিবলৈ হ'লে মহিলাসকলে সক্ৰিয় ভূমিকা ল'বই লাগিব। তৃতীয়তে, ল'ৰা-ছোৱালীৰ সাজ পাৰ আৰু তেওঁলোকৰ স্বভাৱ-চৰিত্ৰ বহুলাংশ নিৰ্ভৰ কৰে মাতৃৰ শাসনৰ ওপৰত। সু-মাতৃৰ সন্তান কাচিৎহে আওঁৰাটে যোৱাৰ দেখা যায়। গতিকে সুস্থ সমাজৰ বাবে এই ক্ষেত্ৰত মাতৃৰ ভূমিকা অনস্বীকাৰ্য। চতুৰ্থতে, এচাম লোকে উলংগ নাৰী দেহ প্ৰদৰ্শন আৰু তেওঁলোকৰ ছবিৰ মাধ্যমত সমাজৰ ক্ষতিকাৰক ব্যবসায় কৰি অহা বুলি প্ৰায়ে অভিযোগ তোলা হয়, কিন্তু তেওঁলোকৰ মাতৃসকল সজাগ হোৱা হ'লে এনে ঘটনা ঘটিব পৰিলেহেঁতেন? নিজৰ ছোৱালীক যদিহে তেনে কামত প্ৰবৃত্ত হ'বলৈ বাধা দান কৰা যায়, তেন্তে তাৰ সম্প্ৰসাৰণ নঘটে। গতিকে আমাৰ সমাজ জীৱনত যে নাৰীৰ ভূমিকা অপৰিসীম সেই বিষয়ত সন্দেহ নাই। নাৰী সমাজে এই ক্ষেত্ৰত সজাগতা প্ৰদৰ্শন কৰিব পাৰিলে আমি নিশ্চয় এখন সুশৃংখলিত সমাজ পাব পাৰো। তদুপৰি বিগত কিছু বছৰ ধৰি অস্বাভাৱিকভাৱে বৃদ্ধি পোৱা হিংসাত্মক কাৰ্যকলাপ বন্ধ কৰাৰ বাবেও পুৰুষ-নাৰীৰ উভয়ে ব্যবস্থা ল'বলৈ আগবাঢ়ি আহিব লাগিব। আনহাতে, নাৰী সমাজৰ বিকাশৰ হেতুকে যিবোৰ ব্যবস্থা আফ্ৰিকা আদি দেশত পশ্চিমীয়া সামগ্ৰীৰ বজাৰ দখলৰ তীব্ৰ প্ৰতিযোগিতা চলিছিল। আজিও অৰ্থনীতিৰ গোলকীকৰণৰ ফলস্বৰূপে দেশে দেশে বজাৰ দখলৰ বাবে তীব্ৰ প্ৰতিযোগিতাৰ সূচনা হৈছে। কোনো দেশৰ পক্ষেই হাত হাবটি বহি থকাটো সাম্প্ৰতিক পৰিস্থিতিত সম্ভৱ হৈ থকা নাই। এই প্ৰতিযোগিতাত ভাৰতবৰ্ষ চামিল হৈছে যদিও সেই দেশৰে অংগ অসমৰ গতি ত্বৰান্বিত হোৱা নাই। ইতিমধ্যে ইণ্ডো-আছিয়ান কাৰবেলীৰে পুৱাৰ দুৱাৰ মুকলি হৈছে। ইতিহাসৰ উত্থাপন-পতন স্বাভাৱিক ঘটনা। এই কামৰূপেই এসময়ত বিশ্বৰ অন্যতম বাণিজ্য কেন্দ্ৰস্থল আছিল। তিব্বত, চীন, তাহানিৰ মানদেশ আদিৰ স'তে বাণিজ্যিক সম্পৰ্ক ঘটিছিল কামৰূপৰ। ভৌগোলিক দিশৰ পৰা এই অঞ্চলটোৰ দেশসমূহৰ মধ্যস্থল আছিল প্ৰাগজ্যোতিষপুৰ। কুমাৰ ভাস্কৰ বৰ্মনে হিউৱেন চাঙলৈ এড়ি-পাটৰ কাপোৰ, অগৰু, চন্দন আদিৰ দৰে বিবিধ মূল্যবান সম্ভাৰৰ উপহাৰ পঠোৱাটো সৰ্বজনবিদিত। সেই কালত যে কামৰূপৰ ওচৰলৈ সাগৰ আছিল সেই কথাৰ সাক্ষ্যৰ চন্দ্ৰ সদাগৰে বহন কৰিছে। গ্ৰীচ, ৰোম আদি দেশৰ লোকৰ স'তেও কামৰূপৰ ব্যবসায়িক সম্পৰ্ক আছিল। পৰবৰ্তী কালত সোণৰ দেশ বিচাৰি উত্তৰ-পূৰৰ পথেদি চাওলুং-চু-কাফাৰ আগমন হৈছিল। এই ঘটনাবলীয়ে সুবৰ্ণখচিত এইখন দেশৰ ইতিহাস আৰু পৰম্পৰাৰ সাক্ষ্য বহন কৰে। আন্তৰ্জাতিক বাণিজ্য আৰু আদান-প্ৰদানৰ কেন্দ্ৰভূমি এই অঞ্চলটোৰ বহিৰ্জগতৰ স'তে সম্পৰ্ক কিছু ব্যাহত হ'লেও সাম্প্ৰতিক বাতাবৰণৰ প্ৰতি লক্ষ্য ৰাখি আকৌ গতিশীল হোৱাৰ সময় আহি পৰিছে। অসমৰ ৰাজনীতি, অৰ্থনীতি, সাহিত্য, সংস্কৃতি বিকাশ ঘটাবলৈ বহিৰ্জগতৰ স'তে গভীৰ সম্পৰ্ক স্থাপন কৰিবই বা হ'বই লাগিব। আমাৰ অৰ্থনীতি, ভাষা-সংস্কৃতি সম্পৰ্কে অসমৰ বাহিৰৰ লোকসকল উদাসীন বুলি আমি প্ৰায়েই অভিযোগ তোলো। যদিহে সেইসকলৰ বিষয়ে জনাৰ আমি প্ৰয়োজনবোধ নকৰো, তেন্তে আমাৰ সম্পৰ্কত তেওঁলোক সজাগ হ'ব কিয়? ইতিহাসৰ

কোনো যুগতে আজিৰ দৰে বিশ্ববাসীৰ পাৰস্পৰিক সম্পৰ্ক গঢ়ি উঠা নাছিল। সৌ সিদিনা ইউৰোপৰ দেশসমূহৰ ইখনে আনখনৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈছিল; কিন্তু আজি ইউৰোপবাসীয়ে ভেদাভেদ পাহৰি এক যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা গঢ়ি তুলিবলৈ অগ্ৰসৰ হৈছে। একে মুদ্ৰা, একে পতাকা গ্ৰহণ কৰিছে। ইয়েই জাতীয়তাবাদৰ বেলি লহিয়াটোক প্ৰমাণ কৰে আৰু মানৱজাতি যে আন্তৰ্জাতিকতাবাদৰ দিশত ধাৱিত হৈছে তাকেই প্ৰকট কৰি তুলিছে।

দেশে দেশে বিভেদৰ সলনি ঐক্যৰ ধ্বনি দিয়া হৈছে। অৰ্থনৈতিক বিকাশৰ সুযোগ কোনে, কেনেকৈ গ্ৰহণ কৰে তাৰ চেষ্টা অব্যাহত আছে। এই ক্ষেত্ৰত আমাৰ দৃষ্টিভংগীও গঠনমূলক আৰু সুদূৰপ্ৰসাৰী হ'ব লাগিব। অসমৰ দৰে সাৱৰা মাটি আৰু সুষম প্ৰাকৃতিক পৰিৱেশ সমগ্ৰ বিশ্বতে দুৰ্লভ। সেই সম্পদৰ যথাযথ ব্যৱহাৰ কৰি ৰাজ্যখনক উন্নয়নৰ শীৰ্ষলৈ আগবঢ়াই নিব লাগিব। অসমভূমিত জন্ম লাভ কৰা প্ৰতিজন মানুহেই সমাজৰ সম্পদৰূপে বিবেচিত হোৱা উচিত। এতিয়া আৰু উদ্যোগ-বাণিজ্যৰ বাবে খনিজ সম্পদ, কেঁচা মাল আদিয়েই অপৰিহাৰ্য্য হৈ থকা নাই। মানুহৰ মগজুটোৱে এতিয়া উন্নয়নৰ চাবি-কাঠি হৈ পৰিছে। প্ৰতিজন মানুহৰ শক্তি-সামৰ্থ্যক বিকাশৰ কামত লগোৱাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিব লাগিব। অৰ্থনৈতিক বিকাশ অবিহনে সাহিত্য-সংস্কৃতিৰ বিকাশ সম্ভৱ হ'ব নোৱাৰে। সেয়েহে উঠি অহা শিশুসকলক আৰম্ভণিৰ পৰা অসমক ভালপোৱাৰ লগতে ভাৰতবৰ্ষক জানিবলৈ, বিশ্বক জানিবলৈ উৎসাহ যোগাব লাগিব। ৰাষ্ট্ৰ তথা বিশ্বপ্ৰেমৰ আসক্তি কেৱল আনৰ কল্যাণৰ বাবে নহয়, নিজৰ বিকাশৰ বাবেহে। প্ৰৱেশিকা শিক্ষাৰ সমাপ্তিৰ লগে লগে সমগ্ৰ বিশ্বৰে সম্যক জ্ঞান আমাৰ ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰাৰ সুযোগ পালেহে অসমৰ উন্নয়ন সম্ভৱ হোৱাৰ লগতে তেওঁ মাজৰ জাতিৰ যোগ্য অংশীদাৰ হোৱাৰ ক্ষেত্ৰত পদক্ষেপ ল'ব পাৰিব। আমাৰ প্ৰশাসনীয় ব্যৱস্থা সবল কৰিবলৈ হ'লে,আনকি পঞ্চায়ত ব্যৱস্থাক গতিশীল আৰু অধিক কাৰ্যকৰী কৰিবলৈ হ'লে গ্ৰীচৰ পৰা ব্ৰিটেইনলৈকে চলি অহা গণতান্ত্ৰিক আৰু প্ৰশাসনীয় ধাৰাৰ বিষয়ে সম্যক জ্ঞান থাকিব লাগিব। প্ৰাচীন ভাৰতৰ পঞ্চায়তী ব্যৱস্থাটেকো খৰচি মাৰি চাব পাৰিব লাগিব। সাম্প্ৰতিক কালত ভাত নোখোৱাকৈ জীয়াই থকাটো সম্ভৱ হ'লেও ৰাজনীতিৰ প্ৰভাৱমুক্ত হৈ থকাটো কাৰো পক্ষে সম্ভৱ নহয়। গতিকে ৰাজনৈতিক দৰ্শনৰ সম্যক জ্ঞান নাথাকিলে পদে পদে উজুতি খোৱাটোৱে স্বাভাৱিক। ছাত্ৰ-ছাত্ৰীসকলে সেই বাবে প্লেটো, এৰিষ্টটল, ৰুছো, ভল্টেয়াৰ, কাল মাৰ্ক্স, হেৰল্ড লাস্কি, মহাত্মা গান্ধী প্ৰভৃতিৰ ৰাজনৈতিক দৰ্শনৰ স'তে পৰিচিত হ'ব লাগিব। পৰিতাপৰ বিষয় এইটোৱেই যে ভোটদানৰ অধিকাৰকে গণতন্ত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য হিচাপে ন্যস্তস্বাৰ্থজড়িত মহলে প্ৰচাৰ কৰি আহিছে। দৰাচলতে নাগৰিকসকলৰ পাৰস্পৰিক বুজাবুজি আৰু হৃদ্যতাৰ ওপৰতে গণতন্ত্ৰৰ সাফল্য নিৰ্ভৰ কৰে। তদুপৰি নাগৰিকসকলে কেৱল নহয়, প্ৰশাসনত থকা আমোলা আৰু জনপ্ৰতিনিধিসকলো সমাজৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব। সামাজিক দায়বদ্ধতাৰ অভাৱৰ হেতুকে আমাৰ দেশৰ গণতন্ত্ৰ আজি এক প্ৰহসনত পৰিণত হৈছে। জনসাধাৰণৰপৰা ক্ষমতা লাভ কৰি জনসাধাৰণৰ প্ৰতি থকা দায়িত্ব পাহৰি গৈ তেওঁলোকক নীতি বিবৰ্জিত কাৰ্যত লিপ্ত হোৱা দেখা গৈছে। দেশে স্বাধীনতা লাভ কৰাৰ অৰ্থ শতাব্দীৰ পাছতো বাইজৰ সৰহসংখ্যক প্ৰকৃত স্বাধীনতাৰ আভুৰাভাৰি আহিছে। অৰ্থনৈতিক স্বাধীনতা অবিহনে ৰাজনৈতিক তথা সাংস্কৃতিক স্বাধীনতা লাভ কৰাটো সম্ভৱ নহয়; কিন্তু সময় আগবঢ়াৰ লগে লগে ধনী-দুখীয়াৰ পাৰ্থক্য বৃদ্ধি পাই গৈছে আৰু মুষ্টিমেয়ৰ হাততহে দেশৰ সমুদায় পুঁজি জমা হৈছেগৈ। এই বৈষম্যৰ ফলস্বৰূপে দেশখনৰ সৰ্বত্ৰ হিংসা, হত্যা, অপহৰণ আৰু বিচ্ছিন্নতাবাদী কাৰ্যকলাপ আজি নিত্য-নৈমিত্তিক ঘটনা হৈ পৰিছে। ক্ষমতাৰ ৰাজনীতি মানেই আজিৰ ভাৰতবৰ্ষত দুৰ্নীতিৰ খেল হৈ পৰিছে। গণতন্ত্ৰৰ মাজহাড়স্বৰূপ আইনৰ শাসন আজি ভু-লুণ্ঠিত। বজাৰ অৰ্থনীতিৰ গ্ৰাসত শিল্পী, খেলুৰে আৰু চিন্তাশীল লোকসকলৰো এচাম জাহ গৈছে। তাৰ ফলস্বৰূপে জনসাধাৰণ হৈ পৰিছে দিশহাৰা। জাতিৰ পিতা আখ্যা দিয়া গান্ধীজীৰ আদৰ্শ আজি পাহৰণিৰ গৰ্ভত, অথচ পৰম ৰহস্যৰ কথা এইটোৱেই যে আৰক্ষীৰ দ্বাৰা পৰিৱেষ্টিত হৈ নিশ্ছিদ্ৰ নিৰাপত্তাৰ মাজৰ পৰাই আমাৰ নেতাসকলে অহিংসাৰ বাণী অনুসৰণ কৰিবলৈ উদাত্ত আহ্বান জনাইছে। এই আহ্বানৰ স'তে তেওঁলোকৰ দৈনন্দিন জীৱন পদ্ধতিৰ কোনো মিল নাই। গান্ধীজীয়ে কৈছিল যে তেওঁৰ জীৱনেই তেওঁৰ বাণী। তেওঁৰ কথা আৰু কামৰ মিল থক হেতুকে সেইদৰে ক'ব পাৰিছিল। কিন্তু আজি নতুন পুৰুষে অনুসৰণ কৰিবলৈ আঙুলিয়াব পৰা প্ৰভাৱশালী জীৱিত নেতা এজন নাইকিয়া হ'ল। শান্তি নামৰ মুদ্ৰটোৰ আনটো পিঠি হ'ল ন্যায় আৰু সমতা। যিখন সমাজত ন্যায় আৰু সমতা সুদূৰপৰাহত, সেইখন সমাজলৈ শান্তি আহে কেনেকৈ? গতিকে আজিৰ ভাৰতবৰ্ষৰ বাবে প্ৰয়োজন হৈছে এক নতুন স্বাধীনতা-আন্দোলনৰ,

এক নতুন জনজাগৰণৰ। আজিৰ এই সীমাহীন দুনীতি আৰু ভ্ৰষ্টাচাৰ সহি থকাটোও কাপুৰুষালি। ভাৰতবৰ্ষক যুগে যুগে প্ৰেৰণা দি আহিছে শ্ৰীকৃষ্ণৰ চৰিত্ৰই। শ্ৰীকৃষ্ণই মানৱ ইতিহাসৰ প্ৰাচীনতম আৰু প্ৰভাৱশালী বিপ্লৱী। ৰাজবংশত জন্মগ্ৰহণ কৰিও অত্যাচাৰী, অনাচাৰীক বিনাশ কৰি ন্যায় প্ৰতিষ্ঠা কৰাটোৱেই আছিল শ্ৰীকৃষ্ণৰ লক্ষ্য। কুৰুক্ষেত্ৰ ৰণৰ অন্তত তেওঁ ৰাজভোগ কৰাতকৈ শান্তি প্ৰতিষ্ঠাকে ব্ৰত হিচাপে লৈছিল। শ্ৰীকৃষ্ণ ভগৱান হয় নে নহয়, সেই লৈ বিতৰ্ক থাকিব পাৰে, কিন্তু তেওঁ যে সমাজত অন্যায়ৰ বিৰুদ্ধে ন্যায় প্ৰতিষ্ঠাত ব্ৰতী হৈছিল সেই ক্ষেত্ৰত দ্বিমত নাই। শ্ৰীকৃষ্ণৰ সেই আদৰ্শক জনসমাজত প্ৰচাৰ কৰি শ্ৰীমন্ত শংকৰদেৱে এই ভাৰতভূমিত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। পদ্মনাথ গোহাঞি বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ডিম্বেশ্বৰ নেওগ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আদি প্ৰভৃতি প্ৰাতঃস্মৰণীয় মনীষীয়ে কৃষ্ণৰ বৈপ্লৱিক ধাৰাটোক প্ৰচাৰ কৰি গৈছে। প্ৰতিগৰাকী সংস্কাৰকামী শিল্পী, সাহিত্যিকে বিপ্লৱী। বৈপ্লৱিক চেতনা অবিহনে শিল্পী-সাহিত্যিকৰ কণ্ঠত শব্দৰ অগনি নজ্বলে। বৈপ্লৱিক চেতনাৰ ধাৰা বোৱাই দিব নোৱাৰিলে শংকৰদেৱৰ পৰা ওপৰত উল্লিখিত বিষ্ণু ৰাভালৈকে স্বনামধন্য ব্যক্তিসকলক স্মৰণ কৰাৰ সাৰ্থকতা আছে বুলি ধাৰণা নহয় সমগ্ৰ দেশতে আজি প্ৰয়োজন হৈ পৰিছে এক বিপ্লৱৰ।

সম্প্ৰতি অসমে সন্মুখীন হোৱা জ্বলন্ত সমস্যাকেইটাৰ ভিতৰত মূলতঃ আছে অবৈধ বিদেশী নাগৰিকৰ অনুপ্ৰবেশ, জগোষ্ঠীয় সংঘাত আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপ। পৃথিবীত এনে এখন দেশ নাই য'ত অবৈধ নাগৰিকৰ অনুপ্ৰবেশ বাধা দিবলৈ জনসাধাৰণে আন্দোলন কৰিব লগা হৈছে। অবৈধ অনুপ্ৰবেশ ৰোধ কৰাটো চৰকাৰৰ অৱশ্যে কৰ্তব্য। চৰকাৰৰ অৱহেলাৰ হেতুকে জনসাধাৰণে অবৈধ অনুপ্ৰবেশ সম্পৰ্কত আন্দোলন কৰিব লগা হ'লে কেতবোৰ অতিৰিক্ত সমস্যাৰ উদ্ভৱ হয়। ইতিমধ্যে যিসকলে নাগৰিকত্ব লাভ কৰিছে সেইসকলৰ স'তে খিলঞ্জীয়া লোকৰ সংঘাত সৃষ্টি হয় আৰু সামাজিক ঐক্য বিঘ্নিত হয়। অসমতো সিয়েই হ'বলৈ পাইছে। অবৈধ অনুপ্ৰবেশ ৰোধ কৰাৰ উদ্দেশ্যে চলোৱা আন্দোলনৰ হেতুকে চৰম অঞ্চলৰ নাগৰিকত্ব লাভ কৰা লোকসকলৰ স'তে গটি উঠা খিলঞ্জীয়া লোকৰ স্বাভাৱিক সম্পৰ্ক বিঘ্নিত হৈছে আৰু দুয়োপক্ষৰ মাজত সন্দেহৰ বাতাবৰণ সৃষ্টি হৈছে। চৰকাৰৰ ফালৰ পৰা বিধি অনুসৰি অনুপ্ৰবেশ ৰোধ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা হ'লে দুয়োপক্ষৰ মাজৰ সম্পৰ্ক ঠন ধৰি উঠিলহেঁতেন। ইয়াৰ ফলস্বৰূপে নাগৰিকত্ব লাভ কৰাসকলৰ লগতে খিলঞ্জীয়া সমাজ উভয়ে ক্ষতিগ্ৰস্ত হৈছে আৰু তাৰ পৰা লাভবান হৈছে সুযোগ সন্ধানী ৰাজনৈতিক দলবোৰ। ব্ৰিটিছৰ পৰম্পৰা অনুসৰি আজিৰ ভাৰতবৰ্ষতো 'ভাগ কৰা আৰু শাসন কৰা' নীতিকে বৰ্তাই ৰখা হৈছে। আনহাতে, কেন্দ্ৰীয় চৰকাৰে আগবঢোৱা প্ৰস্তাৱ বিগত আন্দোলনৰ নেতৃত্বই ১৯৮১ ত মানি লোৱা হ'লে অসমে বহু দুৰ্যোগৰ পৰা পৰিত্ৰাণ পালেহেঁতেন। সেই সময়ত প্ৰধান মন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীয়ে অবৈধ অনুপ্ৰবেশকাৰীৰ হস্তান্তৰ আৰু ভবিষ্যতে তেনে অনুপ্ৰবেশ বন্ধ কৰাৰ বাবে যথোচিত ব্যৱস্থা লোৱাৰ প্ৰস্তাৱ দিছিল। তেতিয়াই আন্দোলনৰ নেতৃত্বই সেই প্ৰস্তাৱ মানি লোৱা হ'লে আই এম ডি টি প্ৰবৰ্তন নহ'লহেঁতেন। নেলী, চাউলখোৱা, ধূলা, গহপুৰ আদিত নাৰকীয় কাণ্ড সংঘটিত হ'বলৈ নাপালেহেঁতেন। আলফাৰ উত্থানবো তাতেই সমাপ্তি হ'লহেঁতেন আৰু গোষ্ঠী সংঘৰ্ষৰ প্ৰকোপো আজিৰ দৰে প্ৰকট হৈ নুঠিলহেঁতেন। তেনেদৰেই অলেখ ছাত্ৰ সংগঠন আৰু চুৰুমিয়ে চুৰুমিয়েই স্বাধীনতা বিচৰা সন্ত্ৰাসবাদী গোটবোৰ জন্ম নহ'লহেঁতেন। বিগত আন্দোলনৰ পৰা আমি শিক্ষা লাভ কৰাটো উচিত। অসমৰ পৰিস্থিতি এতিয়াও সম্পূৰ্ণ স্বাভাৱিক হৈছে বুলি ক'ব নোৱাৰি। চৰকাৰী পক্ষৰ নিষ্ক্ৰিয় ভূমিকাৰ বিপৰীতে ৰাজ্যখনৰ প্ৰমজীবী জনগণে এই সমস্যাৰ সমাধানৰ পথ উলিয়াই চৰকাৰী পক্ষৰ কূটকৌশলক ভেটা দিব লাগিব। সেয়ে নহ'লে অসমলৈ স্বাভাৱিক শান্তি ঘূৰি অহাটো দুৰূহ। আমাৰ বোধেৰে শান্তি ঘুৰাই আনিবলৈ হ'লে বহু বিতৰ্কিত আই এম ডি টি আইনখনক লৈ হোৱা বিতৰ্কৰ অন্ত পেলাবই লাগিব। সামাজিক সম্প্ৰীতি অবিহনে ৰাজ্যখনৰ উন্নয়ন সম্ভৱ নহয়। অবৈধ অনুপ্ৰবেশে সৃষ্টি কৰা ভীতিগ্ৰস্ততাই সামাজিক সম্প্ৰীতি বিঘ্নিত কৰা কথা অনস্বীকাৰ্য। এই সম্পৰ্কত জধে মধে 'বাংলাদেশী' শব্দটো ব্যবহাৰ কৰাৰ আমি বিৰোধিতা কৰো। আমাৰ বিৰোধ অবৈধ অনুপ্ৰবেশকাৰীৰ বিৰুদ্ধেহে, বাংলাদেশীৰ বিৰুদ্ধে নহয়। সকলো সময়তে 'বাংলাদেশী ভূত' দেখা হেতুকে ইতিমধ্যে ভাৰতীয় নাগৰিকত্ব পোৱা তাহানিৰ পূৰ্ববংগ বা বৰ্তমানৰ বাংলাদেশৰ পৰা অহা লোকসকলক মানসিক কষ্ট দিয়া হৈছে, যাৰ ফলস্বৰূপে সামাজিক ঐক্য গঢ়াৰ প্ৰচেষ্টা বাধাপ্ৰাপ্ত হৈছে। ভাৰতীয় নাগৰিকত্ব পোৱাসকলে আকৌ বাংলাদেশী আখ্যা পায় কেনেকৈ? সকলো ধৰণৰ ৰাজনৈতিক কূট কৌশল ছিন্ন কৰি সংখ্যাগুৰু আৰু সংখ্যালঘু উভয়েই অবৈধ নাগৰিকৰ সমস্যাটোৰ স্থায়ী সমাধানৰ পথ উলিয়াবই লাগিব।

অসমত সম্প্রতি যি ধৰণে জনগোষ্ঠীয় উত্থান আৰম্ভ হৈছে সিয়ে সমাজ বিজ্ঞানী আৰু নৃতত্ত্ববিদসকলকো বিস্মিত কৰি তুলিছে। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনজাতিৰ লোকসকলৰ স্বায়ত্তশাসনৰ দাবী ব্ৰিটিছৰ শাসন কালত অংকুৰিত হ'লেও সেই দাবী সামগ্ৰিকভাৱে জনজাতীয় লোকসকলৰ উমৈহতীয়া আছিল। জনজাতীয় লোকসকলৰ উন্নয়নৰ দিশটো সন্মুখত ৰাখি উত্থাপিত হোৱা সেই দাবী আদৰণীয় আছিল; কিন্তু বিগত কিছু বছৰ ধৰি এনে ধৰণৰ অলেখ নতুন নতুন জনগোষ্ঠীৰ উত্থান ঘটিছে, যাৰ ফলস্বৰূপে বিভিন্ন জনজাতীয় গোষ্ঠী আৰু আনকি একেটা গোষ্ঠীৰ মাজতো সংঘাত আৰম্ভ হৈছে আৰু প্ৰচুৰ ধন-জনৰ ক্ষতি সাধন হৈছে। জনগোষ্ঠীয় উত্থান সংশ্লিষ্ট জনগোষ্ঠীৰ লোকসকলৰ আৰ্থ-সামাজিকক উন্নয়নৰ হেতুকে হোৱা হ'লে তাত আপত্তি কৰিবলগীয়া একো নাই, কিয়নো জনগোষ্ঠীয় বিকাশ অবিহনে অসমবাসীৰ বিকাশ পূৰ্ণাংগ হ'ব নোৱাৰে; কিন্তু এতিয়া বিভিন্ন জনগোষ্ঠী বা একেটা জনগোষ্ঠীৰ মাজৰ নেতৃত্বৰ দ্বন্দ্বই সংঘাতৰ ৰূপ লোৱা হেতুকে অৰ্থনৈতিক উন্নয়ন বাধাপ্ৰাপ্ত হৈছে। কেতবোৰ অঞ্চলত বছৰেকৰ ছমাহে গণতান্ত্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী হিচাপে 'বন্ধ' ঘোষণা কৰা হেতুকে ভয়ংকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। অসমৰ আটাইবোৰ জনগোষ্ঠীৰ লোকৰ সমন্বিত প্ৰচেষ্টাৰে এনে দ্বন্দ্ব আঁতৰাই সমন্বয়ৰ বাতাবৰণ গঢ়ি তুলিব লাগিব। যিবোৰ প্ৰক্ৰিয়া গ্ৰহণ কৰিলে একোটা জনগোষ্ঠীৰ আৰ্থ-সামাজিক বিকাশ সম্ভৱ হয়, সেইবোৰ তেওঁলোকলৈ আগবঢ়োৱাত চৰকাৰে কুণ্ঠাবোধ কৰিব নালাগে, কিন্তু চৰকাৰৰ ফালৰপৰা যদিহে সমস্যা সমাধানৰ সলনি জোৰ পুৰি হাত নোপোৱালৈকে নিষ্ক্ৰিয়তা অৱলম্বন কৰি থকা হয়, তেন্তে ই নিঃসন্দেহে বিপজ্জনক কথা হ'ব। সংখ্যাগৰিষ্ঠ অসমীয়া ভাষীসকলে জনগোষ্ঠীয় লোকসকলৰ প্ৰতি উদাৰ আৰু সহৃদয়তাৰ মনোভাৱেৰে তেওঁলোকৰ সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰতত আগভাগ ল'ব লাগে। 'জনগোষ্ঠীয় লোকসকলৰ উন্নয়নেই অসমৰ উন্নয়ন' হ'ব লাগিব আমাৰ ধ্বনি। জনগোষ্ঠীয় লোকসকলেও বিভেদৰ বীজ সিঁচা তেওঁলোকৰ ন্যস্তস্বাৰ্থজড়িত নেতাসকলৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিব লাগিব। জনজাতিৰ মুক্তিৰ নামথ ঘঁৰিয়ালৰ চকুপানী টোকা নেতা এচামেই জনজাতিৰ কল্যাণৰ বাবে ধাৰ্য কৰা চৰকাৰী ধনৰ সিংহভাগ আত্মসাৎ কৰা বুলি সঘনাই অভিযোগ উত্থাপিত হোৱাটো চৰম লজ্জাজনক। যিটো দেখা গৈছে, শোষক আৰু দুৰ্নীতিপৰায়ণৰ মাজত জাতি, ধৰ্ম, গোষ্ঠীৰ পাৰ্থক্য নাই। তেওঁলোকৰ চিনাকি একেটাই— তেওঁলোক সমাজৰ শত্ৰু। এনে শত্ৰুক প্ৰতিৰোধ কৰাৰ উদ্দেশ্য সমবেত প্ৰচেষ্টাৰ প্ৰয়োজন হোৱা বুলি ভাবো।

অসমৰ জনজাতি আৰু অজনজাতীয় লোকসকলৰ উমৈহতীয়া প্ৰচেষ্টাতহে ক্ষোভ অথবা দ্বন্দ্ব নিৰাময় কৰাটো সম্ভৱ হ'ব। প্ৰত্যেকেই এধানমান অনুধাৱন কৰিলেই হৃদয়ংগম কৰিবলৈ সক্ষম হ'ব যে অতীতত অসমীয়া বুলি কোনো এটা জাতিৰ লোকৰ নাছিল। ইয়াত আছিল বড়ো, কছাৰী, ৰাভা, তিৱা, দেউৰী প্ৰভৃতি অসংখ্য জনগোষ্ঠীৰ লোক। নৃতত্ত্ববিদসকলৰ মতে, এইসকলৰ প্ৰায়ভাগেই বাহিৰৰ পৰা অহা প্ৰব্ৰজনকাৰীহে আছিল। পৰৱৰ্তী কালছোৱাত আৰ্য বংশোদ্ভৱসকলৰ কিছুসংখ্যক লোক আহিও ইয়াত স্থায়ীভাৱে থাকিবলৈ ল'লে। তেনেদৰে তাই-আহোমসকললৈকে ধৰি বিভিন্ন জনগোষ্ঠীৰ লোকৰ প্ৰৱেশ ঘটিল। এইসকলেই উমৈহতীয়াভাৱে নিজকে অসমীয়া হিচাপে পৰিচয় দিবলৈ ল'লে আৰু পাৰস্পৰিক ভাব বিনিময়ৰ উমৈহতীয়া ভাষাটো হৈ পৰিল অসমীয়া। তদুপৰি অতীতৰ অসমত এটা প্ৰক্ৰিয়া অতি শক্তিশালী আছিল আৰু সেয়া হ'ল— জনজাতিৰ পৰা অজনজাতিকৰণ। ভালেমান জনজাতিৰ লোকে নিজস্ব জনজাতীয় বৈশিষ্ট্য বিসৰ্জন দি ক্ৰমাৎ অজনজাতীয়লৈ ৰূপান্তৰিত হৈছিল। কোনো জনগোষ্ঠীৰ লোকৰ ওপৰত হেঁচা প্ৰয়োগেৰে এই ৰূপান্তৰ ঘটোৱা হোৱা নাছিল; কিন্তু সাম্প্ৰতিক কালত আৰম্ভ হৈছে ইয়াৰ বিপৰীত প্ৰক্ৰিয়া। কিছু সংখ্যক লোকে পুনৰ জনজাতিকৰণৰ প্ৰতি আকৃষ্ট হৈ পৰিছে। জনজাতীয় লোকসকললৈ চৰকাৰৰ ফালৰ পৰা বিশেষ সা-সুবিধা আগবঢ়োৱা হেতুকেই এই প্ৰক্ৰিয়া আৰম্ভ হৈছে নেকি বুলি ভাবিবৰ থল আছে। তাৰ অৰ্থ এইটোৱেই হ'ব পাৰে নেকি যে কাইলৈ চৰকাৰে তেনে সা-সুবিধা বন্ধ কৰি দিলেই জনগোষ্ঠীয় চেহেৰাৰ সাল-সলনি ঘটিব! সিয়েই হ'বলৈ হ'লে অসমত জনগোষ্ঠীয় চৰিত্ৰৰ ৰূপান্তৰ ঘটিয়েই থাকিব। সি যিয়েই নহওক, এই সম্পৰ্কত দ্বিমত নাই যে ব্ৰহ্মপুত্ৰ উপত্যকা ককেচীয় আৰু মংগোলীয়সকলৰ মিলনভূমি। জনসমষ্টি এটাৰ সংস্কৃতি যিদৰে স্থিতিশীল নহয়, তেনেকৈ তেওঁলোকৰ জৈৱিক ৰূপো অপৰিৱৰ্তিত হৈ নাথাকে। জৈৱিক চৰিত্ৰৰ পৰৱৰ্তনৰ কাৰণ চাৰিটা হ'ল— উৎপৰিৱৰ্তন, আনুবংশিক সম্প্ৰবাহ, নিৰ্বাচন আৰু সংমিশ্ৰণ। ব্ৰহ্মপুত্ৰ উপত্যকাত ককেচীয় আৰু মংগোলীয়সকল ওচৰা-ওচৰিকৈ বসবাস কৰি থকা ফলস্বৰূপে তেওঁলোকৰ মাজত জৈৱিক সংমিশ্ৰণ ঘটিছে। এই সমগ্ৰ প্ৰক্ৰিয়াক অস্বীকাৰ কৰিবলৈ গ'লে ইতিহাসক অস্বীকাৰ

কৰা হ'ব। গতিকে বাস্তৱ দৃষ্টিভংগীৰে আগবাঢ়িলেহে সামগ্রিকভাৱে আমাৰ সমাজৰ বিকাশ সম্ভৱ হৈ উঠিব। সম্প্রতি জনগোষ্ঠীসমূহৰ মাজত নিজৰ ভাষা-সংস্কৃতিৰ বিকাশৰ হেতুকে যিজাগৰণ দেখা গৈছে, তক আমি আশীৰ্বাদ হিচাপেই গ্রহণ কৰিব লাগিব। প্রতিটো জনগোষ্ঠৰ ভাষা-সংস্কৃতিয়েই অসমবাসীৰ নিজস্ব ভাষা-সংস্কৃতি। এই আটাইবোৰ সম্মিলিত প্রচিষ্টাতেই অসম আগবাঢ়ি যাব লাগিব। যদিহে জনগোষ্ঠীয় লোকসকলৰ আৰ্থ-সামাজিক আৰু সাহিত্য-সংস্কৃতৰ বিকাশ হয়, তেতেন্তে সামগ্রিকভাৱে সমূহ জনগণৰ বিকাশেই ইয়াৰ স'তে জড়িত থকা বুলি ক'ব লাগিব। এই ক্ষেত্রত আটাইবে সহমৰ্মীলতাৰ প্রয়োজন অতি জৰুৰী হৈ পৰিছে। বিদ্বেষৰ সলনি পাৰস্পৰিক বুজাবুজিৰ জৰিয়তে গোষ্ঠীসমন্বয় গঢ়ি তুলিব লাগিব। অজনজাতীয় লোকসকলৰ যিদৰে জনজাতিৰ লোকসকলৰ প্রতি দায়িত্ব আছে, তেনেদৰে জনজাতিৰ লোকসকলেও দৃষ্টি ৰাখিব লাগিব যাতে সমন্বয়ত ব্যাঘাত নজন্মে। এনে বুজাবুজি অটুট ৰখাৰ অর্থে অসমৰ আটাইবোৰ ভাষা-সাহিত্যিকেই সভাপতিসকলক লৈ আমি এটা সভাপতিমণ্ডলী গঢ়ি তুলিব খুজিছো, যিটোৱে আটাইবোৰ ভাষাৰ সমন্বয় সাধন আৰু বিকাশত অধিকহা যোগাব পাৰে। এই অধিবেশনৰ শোভাযাত্রাত যোগদান কৰিবলৈ আটাইকেইগৰাকী সভাপতিকে সেই উদ্দেশ্য লৈয়েই আমন্ত্রণ জনোৱা হৈছে; কিন্তু এই আমন্ত্রণতেই আনুষ্ঠানিকতা সীমাবদ্ধ নাৰাখি প্রতিটো জনগোষ্ঠীয় ভাষা-সাহিত্যৰ বিকাশতে আমি সক্রিয়ভাৱে আন্তৰিকতাৰে কাম কৰাৰ সংকল্প ল'ব লাগিব। ইতিহাসৰ জ্ঞান নথকা কিছু সংখ্যক দৃষ্টবুদ্ধিৰ লোকে জনজাতীয় সমাজত দেখা দিয়া অসন্তুষ্টিৰ হেতুকে আমি সাহিত্য সভাকেই জগৰীয়া কৰা দেখা যায়। সাহিত্য সভাৰ কাণ্ডাৰীসকলে সৌ সিদিনালৈকে কিদৰে অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ বাবে সংগ্রাম কৰিবলগীয়া হৈছিল, সেই সম্পর্কত এধানমান মনোযোগ দিলেই আচল কথা উপলব্ধি কৰিবলৈ সক্ষম হ'ব। এসময়ত অসমখনকেই পাকিস্তানৰ অন্তর্ভুক্ত কৰিবলৈ চলোৱা ষড়যন্ত্র যিদৰে লোকপ্রিয় গোপীনাথ বৰদলৈ, ভীমবৰ দেউৰী প্রভৃতিৰ নেতৃত্বত প্রতিহত কৰা হৈছিল, তেনেদৰেই মঃ ওমৰুদ্দিন, শৰৎ চন্দ্র সিংহৰ নেতৃত্বত চলোৱা সংগ্রামেহে অবিভক্ত গোৱালপাৰাক অসমৰ পৰা বিচ্ছিন্ন কৰি নিয়াৰ বাবে চলোৱা ষড়যন্ত্র ব্যর্থ কৰিব পৰা গৈছে। এই ক্ষেত্রত খনিন্দ্র নাথ বৰুৱা আৰু দেবেন্দ্র নাথ ভট্টাচার্যৰ নামো শ্রদ্ধাৰে স্মৰণ কৰিব লাগিব। ইতিহাসৰ কোনো সময়তেই অসম সাহিত্য সভাই জনগোষ্ঠীয় ভাষা-সাহিত্য বা জনজাতি বিৰোধী ভূমিকা লোৱা নাই। অসমৰ প্রতিটো দুৰ্যোগৰ সময়তেই অসম সাহিত্য সভাই সক্রিয় ভূমিকা লৈ'লে এইখন সমাজৰ জনজাতীয় আৰু অজনজাতীয়, সকলোৰেই অস্তিত্ব বিপন্ন নহ'লেহেঁতেন? ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ দৰে প্রখ্যাত ভাষাবিদে *দ্য প্লেচ অব আসাম ইন দ্য হিষ্ট্রি এণ্ড চিভিলাইজেচন অব ইণ্ডিয়া* গ্রন্থত কৈছে : 'বড়ো আৰু আহোমসকলৰ ৪৫০ বছৰজুৰি নিজৰ নিজৰ আধিপত্য ৰক্ষাৰ বাবে পৰস্পৰে পৰস্পৰৰ স'তে যুঁজ কৰিছিল আৰু দুয়োপক্ষই ক্রমান্বয়ে এক অসমীয়াভাষী জাতিলৈ পৰিবর্তিত হৈছিল।' ৰাম সৰস্বতীৰো আগৰ পৰাই এই অঞ্চলত কথিত ব্রজাবলী আৰু জনজাতীয় ভাষাসমূহৰ সমন্বয়ত গঢ়ি উঠা ভাষাকেই লিখিত ৰূপ দিয়া হৈছিল। জনগোষ্ঠীয় ভাষা বিকাশ আৰু সমন্বয় সাধনৰ বাবে অসম সাহিত্য সভা প্রতিশ্রুতিবদ্ধ। বাট্রাণ্ড ৰাছেলে *হোপ এণ্ড প্রেয়াৰ* নামৰ ৰচনাখনিত এইদৰে উল্লেখ কৰিছে : 'কাৰোবাৰ যদিহে উপার্জন নিশ্চিত তেন্তে তেওঁ ধন সম্পর্কে বেছিকৈ সজাগ হোৱাৰ প্রয়োজন অনুভৱ নকৰে, তেনেদৰে সামাজিক স্থিতি সুস্থিৰ হোৱাজনে ভণ্ডামি কৰিবলৈ নাযায়। কোনোবাই যদি ভাবে যে তেওঁৰ দেশখনৰ মহত্ব বিতর্কৰ ঊর্ধ্বত, তেন্তে তেওঁ উগ্র জাতীয়তাবাদী হ'বলৈ নাযায়।' দৰাচলতে আমাৰ সাফল্য য'ত নিশ্চিত তাত ভয়, শংকা, সংকোচৰ কোনো কাৰণ নাথাকে; কিন্তু নিজৰ স্থিতি সম্পর্কে য'ত আমি সন্দিহান সেই ক্ষেত্রত সততে দুৰ্বল হৈ পৰো আৰু ভীতিগ্রস্ততাই আমাক খেদি লৈ ফুৰে। তেনে পৰিস্থিতিত বহু সময়তে দুৰ্বলতাৰ প্রকৃত কাৰণ অনুসন্ধান কৰাৰ সলনি আন কাৰোবাক জগৰীয়া কৰি তৃপ্তি কৰো। ব্যক্তিৰ ক্ষেত্রত বুলিয়েই নহয়, সমাজ অথবা সম্প্রদায়ৰ ক্ষেত্রতো একেটা অৱস্থাকেই দেখা যায়। এনে ভীতিগ্রস্ততাৰ ফলস্বৰূপে আমি প্রায়ে অস্তিৰতাত ভুগো আৰু সময়ে সময়ে অত্যুৎসাহী হৈ আত্মঘাতী পথ লওঁ। প্রকৃতার্থত সবল ব্যক্তি এজনে চিএৰ-বাখৰ কৰি এইদৰে প্রমাণ কৰিবলৈ নিবিচাৰে যে তেওঁ শক্তিশালী। বহু সময়তেই তেওঁক বিনয়ী হোৱাহে দেখা যায়। আনহাতে, দুৰ্বলীজনে সততে নীচাত্মিকাত ভোগে আৰু কেতিয়াবা তেওঁ নিজকে সবল হিচাপে দেখুৱাবলৈ অত্যুৎসাহী হৈ পৰে আৰু ফলস্বৰূপে আত্মজাহৰ পথত ভৰি দিয়ে।

ঊনেশ শতিকাৰ মাজভাগত জাতীয়তাবাদী চিন্তা-চর্চাৰ স্ফুৰণ হোৱাৰ সময়ৰ পৰা অসমীয়া সমাজখনে কেতবোৰ দিশত সাহসেৰে আগবাঢ়ি যাবলৈ সক্ষম হ'লেও আন কেতবোৰ ক্ষেত্রত থমকি ৰ'ব লগা পৰিস্থিতিৰো উদ্ভৱ হৈছিল। এই কালছোৱাত

আমি বিশেষকৈ দেশী-বিদেশী কেইবাটাও শক্তিশালী জাতিৰ লোকৰ সান্নিধ্যলৈ আহি বিশাল মানৱ সমাজখনৰ স'তে চিনাকি হোৱাৰ সুযোগ যিদৰে পালো, তেনেদৰেই সেই জাতিসমূহৰ প্ৰভূত সামৰ্থ্যৰ সমুখত আমাৰ দুৰ্বলতাও প্ৰকট হৈ উঠিল। কেতবোৰ ক্ষেত্ৰত সমানে ফেৰ মাৰিব নোৱাৰা হেতুকে সবলৰ প্ৰতি সন্দেহ, অবিশ্বাস ইত্যাদিয়ে গা-কৰি উঠাটো অস্বাভাৱিক নহয় আৰু সময়ে সময়ে নিজৰ বল-বীৰ্য প্ৰদৰ্শন কৰিবলৈ গৈ দুৰ্দশাত পতিত হোৱাও দেখা গৈছে। উদাহৰণস্বৰূপে ১৯৬০ ৰ ৰাজ্যভাষা আন্দোলনৰ কথাকে আঙুলিয়াব পাৰি। সেই সময়ত আমাৰ প্ৰায় সকলোৱে এনে ধাৰণা আছিল যেনন বিধিগতভাৱে অসমীয়াক চৰকাৰী ভাষা কৰিব নোৱাৰিলে বৃহৎ ভাষা-ভাষীসকলৰ হেঁচাত আমাৰ ভাষাৰ বিকাশ ৰুদ্ধ হ'ব। অসমীয়া ভাষাক চৰকাৰী স্বীকৃতি দিয়াবলৈ এটা বৃহৎ আন্দোলনো কৰা হ'ল; কিন্তু সময়ত সেই চৰকাৰীকৰণৰ প্ৰতিক্ৰিয়া অসমীয়া ভাষাৰ পক্ষে কিমানদূৰ ইতিবাচক হ'ল সেই লৈ বিতৰ্ক অব্যাহত আছে। তেনেদৰে পৰৱৰ্তী কালছোৱাত আমি এইদৰে ধাৰণা কৰিবলৈ ল'লো যে অসমীয়া ভাষাক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম কৰিব পাৰিলেহে আমাৰ ভাষাই যথোচিত মৰ্যাদা পাব। বৃহৎ গণ জাগৰণেৰে তাকো ফলৱতী কৰি তোলা হ'ল যদিও সেই সিদ্ধান্তও শুদ্ধ নাছিল বুলি এতিয়া প্ৰমাণিত হৈছে। কোনো এটা ভাষাৰ বিভিন্ন বিভাগৰ পুথি যেতিয়ালৈকে পৰ্যাপ্ত পৰিমাণে বজাৰত পোৱা নাযায়, তেতিয়ালৈকে সেই ভাষাক উচ্চ শিক্ষাৰ মাধ্যম কৰিবলৈ লোৱাটো অতি বিপজ্জনক আৰু তাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক গভীৰ অন্ধকাৰলৈ ঠেলি দিয়াহে হয়। আধুনিক বিজ্ঞান আৰু কলা বিষয়ৰ শাখাসমূহৰ সম্পৰ্কত প্ৰচুৰ গ্ৰন্থ প্ৰণয়ন কৰা হৈছে; আমাৰ ছাত্ৰ-ছাত্ৰীক অসমীয়া মাধ্যমত তেনেই সীমিত সংখ্যক কিতাপৰ মাজত বন্দী কৰি ৰাখিব বিচাৰিলে তেওঁলোকৰ পূৰ্ণ বিকাশ সম্ভৱ হ'ব কেনেকৈ? সমাজ এখনৰ বিকাশ সাধনৰ বাবে ভাষা-জ্ঞানৰ প্ৰয়োজনীয়তা আছে যদিও অন্যান্য আনুষংগিক দিশসমূহো বিচাৰ-বিবেচনা কৰি চাব লাগিব। সকলোৱে প্ৰচেষ্টাৰে সম্প্ৰতি দেখা দিয়া সামাজিক দ্বন্দ্বৰ অৱসান ঘটাব পৰা যাব বুলি আমি নিশ্চিত। তদুপৰি জনজাতিৰ লোকসকলৰ অৰ্থনৈতিক উন্নয়নৰ দিশটোৰ ওপৰতো সমানেই গুৰুত্ব দিব লাগিব। অসমৰ আটাইবোৰ ভাষাৰ বিকাশ আৰু প্ৰসাৰৰ বাবে উমৈহতীয়া লিপি প্ৰৱৰ্তনৰ আৱশ্যকতা আছে বুলি ধাৰণা হয়। অসমীয়া লিপিৰ স্বাতন্ত্ৰ্যতা ৰক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ সলনি ব্যৱহাৰিক দিশৰ প্ৰতি লক্ষ্য ৰাখি বাংলাৰ স'তে প্ৰায় একে লিপি গ্ৰহণ কৰা হেতুকে অসমীয়া অথবা বাংলা ভাষাৰ বিকাশ সাধনত ক্ষতি হোৱা নাই। তেনেদৰেই ইউৰোপৰ প্ৰায়বোৰ ভাষাৰেই ৰোমান লিপি হোৱা হেতুকেও ভাষাৰ স্বাতন্ত্ৰ্য ৰক্ষাত অথবা বিকাশ সাধনত ক্ষতি হোৱা নাই। এই দিশটোৰ প্ৰতি আটাইবোৰ ভাষা-ভাষীৰ লোকে চিন্তা-চৰ্চা কৰিব পাৰে।

অসমৰ আলফাৰ সন্ত্ৰাসবাদী কাৰ্যকলাপে কেতবোৰ নতুন দিশ উদঙাই দিছে। অবৈধ বিদেশী বিতাড়ন আন্দোলনৰ সূত্ৰপাত হওঁতেই আলফাৰ দৰে সন্ত্ৰাসবাদী গোটটোৰে জন্ম হয়। একে সময়তে আন্দোলন আৰু আলফাৰ উত্থানৰ আঁৰত কি ৰহস্য লুকাই আছিল সেই কথা এতিয়াও ৰহস্যাবৃত্ত হৈয়ে আছে। পৰিহাসৰ কথা এইটোৱে যে অবৈধ অনুপ্ৰৱেশ ৰোধ কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা আন্দোলনৰ বিপৰীতে আলফাই অস্ত্ৰ হাতত লৈ পৰৱৰ্তী কালত বাংলাদেশত ঘাটি স্থাপন কৰি অসমক স্বাধীন কৰাৰ বাবে সংগ্ৰামত অৱতীৰ্ণ হৈছে। আলফাৰ ভবিষ্যৎ এতিয়া সন্দিহান হৈ পৰিছে, কিয়নো স্বাধীন অসম বিচাৰিলেও সংগঠনটোৱে এতিয়ালৈকে অসমৰ জনমতক গুৰুত্ব দিয়াৰ প্ৰয়োজন অনুভৱ কৰা নাই। গৰিষ্ঠসংখ্যক অসমীয়াই চৰকাৰৰ স'তে সংগঠনটোৱে আলোচনাত বহাটোকে বিচাৰি আহিছে যদিও তাৰ প্ৰতি আলফাৰ নেতৃত্বত তালৈ কৰ্ণপাত কৰা নাই। তাৰ সৰল অৰ্থ— সংগঠনটো এতিয়া আন্তৰ্জাতিক সন্ত্ৰাসবাদী সংগঠনসমূহৰ স'তে বান্ধ খাই পৰিছে আৰু স্বেচ্ছাই কোনো সিদ্ধান্ত ল'ব নোৱাৰা হৈ পৰিছে যেন লাগে। তদুপৰি অস্তিত্ব প্ৰকাশৰ হেতুকে আলফাই জধে-মধে কেতবোৰ কূটাঘাতমূলক কাৰ্য সংঘটিত কৰিবলৈ বাধ্য হৈছে। এনে কাৰ্যৰ ফলস্বৰূপে অলেখ নিৰীহ লোকে প্ৰাণ দিব লগা হৈছে আৰু ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ ব্যাহত হোৱাৰ উপৰি বিনিয়োগ ৰুদ্ধ হৈছে। ৰাজ্যখনৰ জনমতক উপেক্ষা কৰি চলোৱা সংগ্ৰাম কোনোদিনে সফলকাম নোহোৱাটো নিশ্চিত। সন্ত্ৰাসবাদী কাৰ্যকলাপ ৰোধ কৰি চৰকাৰী নিৰাপত্তা বাহিনীয়ে পৰিস্থিতি স্বাভাৱিক কৰাব উদ্দেশ্যে চলোৱা তথাকথিত শান্তি স্থাপনৰ বাবে গ্ৰহণ কৰা কাৰ্যকলাপৰ হেতুকে বহুতো নিৰপৰাধী লোকে প্ৰাণ দিব লগা হৈছে। গতিকে যিটো দেখা গৈছে, অসমৰ উগ্ৰপন্থীৰ স'তে আন্তৰ্জাতি উগ্ৰপন্থী গোটসমূহৰ সু-সম্পৰ্ক আটুট থকালৈকে আলফাক নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহ'ব। তাৰ বাবে বিশেষকৈ কেন্দ্ৰীয় চৰকাৰে আলফাই আশ্ৰয় লৈ থকা চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ স'তেহে চুক্তিবদ্ধ হোৱা উচিত। যাতে সেই দেশসমূহে অসমৰ উগ্ৰপন্থী গোটক আশ্ৰয় নিদিয়ে। আমি আশা ৰাখিছো, আলফা নেতৃত্বৰ

শুভবুদ্ধিৰ উদয় হ'ব আৰু অসমৰ জনমতৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰৰ স'তে আলোচনাত বহি সমস্যাৰ মোকাবিলা কৰিব।

এতিয়া আমি অসমীয়া সাহিত্যৰ ওপৰত দৃষ্টিপাত কৰিলে অনুভৱ কৰো যে কলেৱৰ দিশৰ পৰা স্বাধীনোত্তৰ কালছোৱাত অসমীয়া সাহিত্যৰ প্ৰভূত বিকাশ সম্ভৱ হৈ উঠিছে। চাৰি দশকমানৰ আগলৈকে অসমীয়া সাহিত্যৰ সম্পৰ্কত যি ধৰণৰ সন্দেহ আছিল সি এতিয়া নাইকিয়া হৈছে। তদুপৰি অসমীয়া সাহিত্যৰ কেউটা দিশতে প্ৰচুৰ গ্ৰন্থ প্ৰকাশ পাইছে। অসমীয়া সাহিত্যৰ মানো উন্নত হৈছে যথেষ্ট। কিন্তু দুখৰ বিষয় এইটোৱে যে এক সুস্থ সমালোচনাৰ বাতাবৰণ এতিয়াও গঢ়ি উঠিবলৈ বাকী আছে। প্ৰায়ভাগ পুথি-সমালোচকে হয় অপৈণত নহয়তো পক্ষপাতদুষ্ট বুলি প্ৰায় অভিযোগ তোলা হৈচে। সাহিত্যৰ বিকাশৰ বাবে সুস্থ সমালোচনা যে অপৰিহাৰ্য তাক বেলেগে ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। এই দিশটে আমি টনকিয়াল কবি ল'ৰ নোৱাৰালৈকে আমাৰ সাহিত্যৰ মান নিৰূপণ কৰাটো স্বাভাৱিকতে কঠিন হৈ পৰিব। এই ক্ষেত্ৰত জ্ঞানানন্দ শৰ্মাপাঠক বাটকটীয়া আছিল। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে কুৰি শতিকাৰ আগভাগৰ ইংৰাজী সাহিত্য সমালোচনাত এফ আৰ লিভিচ আৰু টি এচ এলিয়েট বিশেষ ভূমিকা লৈছিল। অসমীয়া সাহিত্যৰ সমালোচনাকো সেই ধাৰাটোৱে তিনি দশকমান আগলৈকে প্ৰভাৱান্বিত কৰিছিল। হীৰেন গোহাঁই আৰু ভবেন বৰুৱা আছিল দুগৰাকী আগশাৰীৰ সমালোচক। পাছলৈ অৱশ্যে গোহাঁয়ে মাৰ্ক্সবাদী সমালোচনাৰ দৰ্শকৰ প্ৰতি আকৃষ্ট হয় আৰু অসমীয়া সাহিত্যৰ কিদৰে অৰ্থনৈতিক পটভূমিৰ ওপৰত প্ৰতিষ্ঠিত তাকে তেওঁ ব্যাখ্যা কৰিবলৈ লয়। আনহাতে ভবেন বৰুৱাই শেহতীয়া মাৰ্কিন সমালোচকসকলৰ আদৰ্শৰে চলোৱা সমালোচনাৰ পদ্ধতিৰে এক নতুন ধাৰাৰ সৃষ্টি কৰে। পাছলৈ গোবিন্দ প্ৰসাদ শৰ্মাই অসমীয়া উপন্যাসৰ সমালোচনাত হাত দি বচনা কৌশল চৰিত্ৰৰ বিভিন্ন দিশ আৰু যুগধৰ্ম অনুসৰি সেইবোৰৰ পৰ্যালোচনা কৰিবলৈ লয়। তেৱেঁ উপন্যাসক সমালোচনাৰ দৃষ্টিৰে উৰ্ধ্বলৈ তোলে। এই কালছোৱাতে হীৰেন্দ্ৰ নাথ দত্তই এলিয়টৰ দৃষ্টিভংগীৰে সাহিত্যৰ সমালোচনা কৰিবলৈ লয় আৰু এক নতুন ধাৰাৰ সৃষ্টি কৰে। তেনেদৰে ৰণজিৎ দেৱগোস্বামীয়ে কেতিয়াবা নব্য সমালোচনা আৰু কেতিয়াবা কাৰ্লমাৰ্ক্সৰ দ্বন্দ্ববাদী সমালোচনাৰ সৃষ্টিৰে কেইবাটাও মূল্যবান সমালোচনা আগবঢ়ায়। ষাঠিৰ দশকৰ লগে লগে পশ্চিমৰ লোক সাহিত্য, ভাষা বিজ্ঞান, নৃ-তত্ত্ব আদিৰ চিন্তা-চৰ্চাত কেতবোৰৰ বৈপ্লৱিক পৰিৱৰ্তন ঘটা দেখা যায়। সামাজিক নৃ তত্ত্বত ক্লড লেভিষ্ট্ৰাছ, লোক সাহিত্যত ভ্লাডিমিৰ প্ৰপৰ, ভাষাতত্ত্বত ফাৰ্ডিনাণ্ড দি চ্চাৰ প্ৰভৃতিৰ সমালোচনাই সাহিত্য জগতত নতুন চিন্তাৰ উন্মেষ ঘটায়। এই সকলৰ সমালোচনাই পশ্চিমীয়া সমাজত শেহতীয়া বৌদ্ধিক আন্দোলনৰ অন্ত পেলায় উত্তৰ আধুনিকতাবাদী আন্দোলনৰ সৃষ্টি কৰে। অসমীয়া সমাজত সেই ধাৰাটোৰ উন্মেষ ঘটায় আনন্দ বৰমুদৈ, গোবিন্দ প্ৰসাদ শৰ্মা, ৰণজিৎ দেৱগোস্বামী আদিয়ে। অৱশ্যে আমাৰ সাহিত্যত উত্তৰ আধুনিকতাবাদী যুগৰ সূচনা কৰিব পাৰিছে বুলি ক'ব নোৱাৰি। একেদৰে উত্তৰ আধুনিকতাবাদী উপন্যাস, নাটক, কবিতাৰ দুই-এটা লক্ষণ দেখিবলৈ পোৱা গ'লেও সম্পূৰ্ণভাৱে উত্তৰ আধুনিকতাবাদী নাটক, উপন্যাস, কবিতা আমাৰ ভাষাত ৰচিত হৈছে বুলি ক'ব নোৱাৰি। অৱশ্যে উত্তৰ সংযুক্ত বাদী বা নিৰ্গঠনবাদী মানসিকতা অবিহনে নিৰ্ভেজাল উত্তৰ আধুনিকতাবাদী সাহিত্যকৰ্ম ৰচিত হ'ব নোৱাৰে। আমাৰ লেখকসকলৰ নিৰ্গঠনবাদী সম্পৰ্কত অধিক অধ্যয়ন সম্ভৱ হ'লেহে এই ক্ষেত্ৰত সুফল পোৱা যাব। উপৰন্তু অধ্যয়নেৰে উত্তৰ আধুনিকতাবাদী সাহিত্যকৰ্মৰ সৃষ্টি হ'ব নোৱাৰে। দৰাচলতে অধ্যয়ন আৰু বাস্তৱ অভিজ্ঞতাৰ সংমিশ্ৰণতে এই নতুন ধাৰাৰ সাহিত্যৰ সৃষ্টি হ'ব পাৰে। এইটো মনত ৰখা ভাল যে নিৰ্গঠনবাদী সমালোচনা মূলতঃ তাত্ত্বিক। সেইবাবে ইয়াক থিয়ৰি আখ্যা দিয়া হয়। এফালৰ পৰা ক'বলৈ গ'লে নিৰ্গঠনবাদী সমালোচনা এই ধাৰাৰ চিন্তাবিদৰ মননশীলতাৰ কুচকাৱাজ। অৱশ্যে এইটোও খাটাং যে সৃষ্টিধৰ্মী সাহিত্যক বুজাত সমালোচনাই যদিহে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে তেন্তে সাহিত্যৰ দিশৰ পৰা তাৰ মূল্যৰ সীমাবদ্ধতা অনস্বীকাৰ্য। অসমীয়া সাহিত্যৰ এই ধাৰাৰ সমালোচনাৰ ক্ষেত্ৰতো এই দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। অৱশ্য আমাৰ সাহিত্যত হোৱা নাই বুলি দাবী কৰে। অৱশ্যে এই বিষয়ৰ আলাপ-আলোচনা আমাৰ সাহিত্যত হোৱাটো জগৰৰ কথা নহয়, বৰঞ্চ আদৰণীয়। অৱশ্যে এইটোও মনত ৰখা ভাল যে কেৱল ব্যক্তিগত ৰুচি বা অভিব্যক্তিয়ে সমালোচনা নহয়। সমালোচকৰ দৰ্শন পদ্ধতিৰ বাবে বোধগম্য হ'ব লাগে আৰু সমালোচনাও হ'ব লাগে পদ্ধতিমূলক।

এই প্ৰসংগতে আমি অসমীয়া সাহিত্যৰ প্ৰগতিশীল ধাৰাটোৰ ওপৰত আলোকপাত কৰিবলৈ বিচাৰিছো। অতি সুখৰ কথা

যে মধ্যযুগৰ পৰাই অসমীয়া সাহিত্যৰ এক শক্তিশালী প্ৰগতিশীল ধাৰা অব্যাহত আছিল। প্ৰগতিশীল সাহিত্যকৰ্মত শ্ৰমজীবী জনগণৰ ওপৰত চলি অহা বঞ্চনা আৰু তেওঁলোকৰ প্ৰাপ্য আদায়ৰ অৰ্থে চলোৱা সংগ্ৰামৰ ধাৰা প্ৰস্ফুটিত হয়। সমাজৰ গৰিষ্ঠসংখ্যক জনগণৰ স্বাৰ্থৰ বিপৰীতে মুষ্টিমেয় লোকৰ দ্বাৰা নিয়ন্ত্ৰিত উৎপাদন ব্যৱস্থা আৰু উৎপাদিত সামগ্ৰীৰ বৈষম্যমূলক বিতৰণ ব্যৱস্থাৰ ফলস্বৰূপে শাসক-শোষিতৰ যি দ্বন্দ্ব আৰম্ভ হয়, সিয়ে প্ৰগতিশীল সাহিত্যত বিশেষ ভূমিকা লয়। প্ৰগতিশীল সাহিত্য সদায়ে সৃষ্টিধৰ্মী আৰু সেই সাহিত্য কলাসম্মতভাৱে জনসাধাৰণৰ সম্মুখত দাঙি ধৰা হয়। অসমীয়া প্ৰগতিশীল সাহিত্যৰ বাটকটীয়া শ্ৰীমন্ত শংকৰদেৱ। তেওঁ সংস্কৃত সাহিত্যৰ পৰাস ৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ সহজ-সৰল ভাষাত সাহিত্য ৰচনা কৰি সমাজলৈ সাম্য আৰু প্ৰগতিৰ বতৰা কঢ়িয়াই আনিছিল। ইংলণ্ডৰ চ'চাৰে যিদৰে ইংৰাজসকলক এক জাতি হিচাপে গঢ়ি তোলাৰ বাবে সাহিত্যৰ জৰিয়তে পটভূমি ৰচনা কৰিছিল তেনেদৰে শংকৰদেৱেও সাহিত্যৰ জৰিয়তে তেনে ভূমিকা লৈছিল। শংকৰদেৱৰ নৱ বৈষ্ণৱ আন্দোলনৰ মানৱতাবাদী আদৰ্শ ৰূপায়ণ এক ঐতিহাসিক ঘটনা। ভাৰতবৰ্ষৰ আন আন ঠাইত যেতিয়া কবিৰ, চৈতন্য, তুকাৰাম আদিয়ে মুমূৰ্ষু সামন্তীয় সামাজিক ব্যৱস্থাক ৰক্ষণাবেক্ষণ দিছিল আৰু শোষিত, নিৰ্বাপিত জনগণৰ বাবে পাৰ্থিৱ মুক্তিৰ সন্ধানৰ সলনি কেৱল পৰলৌকিক পথৰ নিদেৰ্শনা দিছিল, শ্ৰীমন্ত শংকৰদেৱে এই অঞ্চলৰ স্বকীয় পৰিৱেশত সামাজিক সমতাৰ মতাদৰ্শ প্ৰচাৰ কৰি সেইসকলৰ তুলনাত এক প্ৰগতিশীল ভূমিকা লৈছিল। নৱ-বৈষ্ণৱ আন্দোলনক অসমীয়া প্ৰগতিশীল সাহিত্যৰ আধাৰশিলা বুলি ক'ব পাৰি। ইয়াৰ উল্লেখনীয় দিশ হ'ল— অস্পৃশ্যতা বৰ্জন, জাতিভেদ প্ৰথাৰ অবলুপ্তিৰ চেষ্টা আৰু বিভিন্ন জনগোষ্ঠীৰ মাজত সহজ-সৰল নামধৰ্মৰ প্ৰচাৰ। এই কালছোৱাতে ব্যাপকসংখ্যক জনজাতীয় লোকে একশৰণ ভাগৱতী ধৰ্মত দীক্ষিত হৈছিল আৰু এইদৰে ব্যয়বহুল যাগ-যজ্ঞ, জাতিভেদ আদিৰ পৰা মুক্তি পাবলৈ সক্ষম হৈছিল। এই ব্যৱস্থাই বিচ্ছিন্ন হৈ থকা গোষ্ঠীসমূহক একেখন সমাজৰ অধীনলৈ আনিছিল। পৰৱৰ্তী কালছোৱাত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিৱবৰুৱা, অম্বিকাগিৰী ৰায়চৌধুৰী প্ৰভৃতিয়ে শংকৰী-সাহিত্যৰ পৰম্পৰাৰে মানৱতাবাদৰ ধ্বনি দি গণচেতনাক জাগ্ৰত কৰিবলৈ চেষ্টা চলাইছিল। চন্দ্ৰকুমাৰ আগৰৱালাই এনেদৰে মানৱতাৰ গান গাইছিল—

মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লৈ
জয় জয় মানৱ দেৱ।

শংকৰদেৱৰ প্ৰগতিশীল আদৰ্শৰে উদ্বুদ্ধ হৈ পৰৱৰ্তী কালছোৱাত নিপীড়িত লক্ষজনৰ পক্ষভুক্ত হোৱাসকলৰ ভিতৰত আছিল কবি ধীৰেন দত্ত, অমূল্য বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, চন্দ্ৰেশ্বৰ ভট্টাচাৰ্য, লক্ষ্মীধৰ শৰ্মা, বিষ্ণুপ্ৰসাদ ৰাভা, ভবানন্দ দত্ত আদি। সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ যে মানুহৰ শত্ৰু আৰু ইয়াৰ পৰা মুক্তি পাবলৈ সমাজবাদে একমাত্ৰ পথ তাৰেই ইংগিত এইসকলৰ লেখা পোৱা যায়।

জাগা জাগা তুমি বিৰাট শক্তি স্বাধীন ৰায়ত কৃষক দল,
বজোৱা মাদল ৰণ দন্দুভি পলাব কেনিবা অসুৰ চল।
যুগ যুগ ধৰি কত অপমান কত লাঞ্ছনা কতনা দুখ
তোমাৰ বুকুৰেদি গৈছে ভোকতে মৰিলা কতনা লক্ষ।

— ধীৰেন দত্ত

পৰৱৰ্তী কালছোৱাত লক্ষ্মীধৰ শৰ্মাৰ গল্প সংকলন 'ব্যৰ্থতাৰ দান'ত 'চিৰাজ' আৰু 'পৰাজয়'ক প্ৰগতিশীল সাহিত্যৰ দুটি মাইলৰ খুঁটি বুলি ক'ব পাৰি। প্ৰথমটি গল্পৰ মাজেৰে হিন্দু-মুছলমানৰ মাজত সম্প্ৰীতি স্থাপন কৰি মহাজাতীয় ঐক্য গঢ়াত অৰিহনা যোগাইছিল। শৰ্মাই 'পৰাজয়'ত উল্লেখ কৰিছে যে কংগ্ৰেছ দল ধনী-মধ্যবিত্ত শ্ৰেণীৰ ৰাজনৈতিক অনুষ্ঠান, 'কংগ্ৰেছে যি স্বাধীনতা বিচাৰিছে তাৰ লগত কুলি-মজুৰৰ প্ৰত্যক্ষভাৱে কোনো সম্পৰ্ক নাই।' আজি এইটোৱে প্ৰমাণিত হৈছে যে শ্ৰমিক জনগণৰ আৰ্থিক মুক্তিৰ আঁচনি কংগ্ৰেছৰ ৰাজনৈতিক মতাদৰ্শতে নাছিল। এই গল্পটোত চাহ ৰাগিচাৰ মেনেজাৰে বনুৱাবৃন্দা এগৰাকীৰ ওপৰত চলোৱা অত্যাচাৰৰ বিৱৰণি দিবলৈ গৈ লক্ষ্মীধৰে সকীয়াই দিছে : 'তাই আৰু তাইৰ দৰে সহস্ৰ কুলিৰ

পৰিশ্ৰমে মাজুলী টিঙৰ মেনেজাৰৰ মটৰৰ মূল। জন্মৱধি সামান্য দৰমহাত কাম কৰি বৃদ্ধা বয়সত তাই বেতিয়া আসক্ত হৈ পৰিল, তেতিয়া তাইৰ ভিক্ষাৰ বাহিৰে আন গতি নাথাকিল আৰু তাইৰ পৰিশ্ৰমৰ বিনিময়ত মহাশক্তিশালী হৈ উঠা মাজুলী টিঙৰ মেনেজৰে আজি বিপদৰ দিনত বুটজোতাৰ গোৰেৰে তাইক ভালদৰে বুজাই দিলে যে তাইৰ আৱশ্যকতাৰ অন্ত পৰিছে। গতিকে তাইৰ মৃত্যু হোৱা উচিত, কাৰণ মাজুলী টিং বাগিচাত কাম কৰি তাক চহকী কৰাৰ ক্ষমতা তাইৰ নাই।' এই গল্পটিৰ জৰিয়তে লক্ষ্মীধৰে সকীয়াই দিছে যে এই বুটীজনীৰ দৰে লক্ষ লক্ষ শ্ৰমিকে মুষ্টিমেয় লোকৰ বিলাসী জীৱন-যাপনৰ বাবে দেহৰ তেজ পানী কৰে।

প্ৰগতিশীল সাহিত্যৰ আন এক অবিস্মৰণীয় নাম অমূল্য বৰুৱা।

সাম্প্ৰদায়িক সংঘৰ্ষ আৰু মাৰ্ক্সীয় তত্ত্বৰ অধ্যয়নৰ প্ৰভাৱ তেওঁৰ লেখাত প্ৰকট হৈ উঠে। এইগৰাকী সামাজিকভাবে দায়বদ্ধ কৰি আছিল মানৱতাৰ পূজাৰী। সমাজ জীৱনত ৰেখাপাত কৰা তেওঁৰ কবিতা 'কুকুৰ', 'কয়লা', 'বেশ্যা' আদিত পুঁজিবাদী সভ্যতাৰ কদৰ্য ৰূপ প্ৰকট হৈ উঠিছে। মানুহৰ ওপৰত গভীৰ বিশ্বাসী তৰুণ স্বল্পায়ু কবি অমূল্য বৰুৱাই লিখিছে --

আমাৰ আছে মানুহৰ ওপৰত বিশ্বাস
আমাৰ আছে ভৱিষ্যতৰ সূত্ৰ
ৰহা সূৰ্যৰ পিনে চকু (বিপ্লৱী)

তাৰ পাছতেই প্ৰগতিশীল ধাৰাটোৰ নায়কসকলৰ ভিতৰত অন্যতম আছিল ভবানন্দ দত্ত। কবিতাৰ উপৰি সাহিত্য-সমালোচনাৰ ক্ষেত্ৰতো তেওঁ প্ৰগতিশীল ধাৰা সৃষ্টি কৰিছিল। কবি-সমালোচক ভবানন্দ দত্তৰ গ্ৰন্থ 'অসমীয়া কবিতাৰ কাহিনী' প্ৰগতিশীল ধাৰাটোৰ এক মাইলৰ খুঁটি। তেওঁ এইদৰে কৈছিল : 'কৃষক আৰু শ্ৰমিকৰ নিষ্পেষিত জীৱনৰ প্ৰতি সহানুভূতি আৰু সমবেদনা প্ৰগতিশীল কবি-সাহিত্যিকৰ কাৰণে প্ৰথম প্ৰয়োজন। কবি হৃদয়ৰ এই উন্মুখতা থাকিলেহে কবিয়ে নিজৰ সামাজিক সীমাবদ্ধতা আৰু জীৱন যাত্ৰাৰ ঠেক চিন্তাধাৰাৰ পৰা মুক্ত হৈ নিজৰ দৃষ্টিক আৰু অনুভূতিক বাহিৰৰ বহল গতিশীল আৰু সংঘাতময় জীৱন প্ৰৱাহৰ লগত মিলাই দিব পাৰে।' ভবানন্দ দত্তৰ পাছতে অসীম প্ৰতিভাশালী প্ৰগতিশীল লেখক জ্যোতিপ্ৰসাদ আগৰৱালাই মানৱতাৰ আধাৰত বিবিধ ৰচনাৰে অসমীয়া সাহিত্যক এক বিশ্বজনীন ৰূপ দিয়ে। পুঁজিবাদৰ পতনৰ পাছত এক নতুন সামাজিক ধাৰা তেওঁ বিচাৰিছিল।

ধ্বংসৰ মাজেদি মই
ৰূপান্তৰেদি ৰূপ পাই
নৱতম সৃষ্টিৰ শলিতা জ্বলাও
জনতাৰ হৃদয়ত মোৰ সোণোৱালী দেশ
মই পিছো বিশ্ব বেশ (বিশ্বশিল্পী)

জ্যোতিপ্ৰসাদৰ এই ধাৰাটোকেই বিষ্ণুপ্ৰসাদ ৰাভাই মাটিৰ মানুহৰ মাজলৈ লৈ যায়। তেওঁ সামাজিক ৰূপান্তৰৰ বাবে এহাতে কলম আৰ আনহাতে ষ্টেনগান ল'বলৈয়ো কুণ্ঠাবোধ কৰা নাছিল।

আনহাতে, লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইতাৰ সাধু'ৰ গৰ্ভত অংকুৰিত হোৱা কিছুসংখ্যক চুটিগল্পই এতিয়া কিমান যিকোনো ভাষাৰ চুটিগল্পৰ স'তে ফেৰ মাৰিব পৰা পৰ্যায়ত উপনীত হৈছে। অসমীয়া চুটিগল্পত পৰীক্ষা-নিৰীক্ষা অব্যাহত আছে। অদূৰ ভৱিষ্যতে চুটিগল্পৰ ধাৰাটো আৰু অধিক মনোমোহা হ'ব বুলি আশা কৰিব পাৰি।

১৮৮৪ তে পদ্মাৱতী দেৱী ফুকননীয়ে 'সুধৰ্মাৰ উপাখ্যান'ৰ জৰিয়তে প্ৰথমবাৰৰ বাবে অসমীয়া পাঠকৰ উপন্যাসৰ সোৱাদ দিবলৈ সক্ষম হয়। পৰৱৰ্তী ১৯০০ খ্ৰীষ্টাব্দত প্ৰকাশিত বজনীকান্ত বৰদলৈৰ 'মনোমতী'ত সেই সময়ৰ অসমীয়া সমাজৰ মানসিকতা প্ৰকট হৈ উঠিছে। উপন্যাসখনত মানৱ আক্ৰমণত ছেদেলি-ভেদেলি হোৱা অসমীয়া সমাজৰ ছবিখন স্পষ্ট হৈছে। বৰদলৈৰ 'দন্দুৱাদ্রোহ'তো সেই একে সুৰ দেখিবলৈ পোৱা যায়। বজনীকান্ত বৰদলৈৰ 'মিৰি-জীয়ৰী'ত জনজাতীয় লোকসকলৰ সুখ-দুখৰ স'তে অজনজাতীয় লোকসকলকো একাত্মবোধৰ পৰিচয় দিবলৈ ইংগিত দিয়া হৈছে। দণ্ডীনাথ কলিতাৰ 'সাধনা'ত স্বাধীনতা আন্দোলনৰ আৰম্ভণিৰ সজাগতা স্পষ্ট হৈ পৰিছে। প্ৰাক্-স্বাধীনতা কালৰ বীণা বৰুৱা বচিত 'জীৱনৰ

বাটত' আজিও অসমীয়া উপন্যাস সাহিত্যৰ মাইলৰ খুঁটি হৈ আছে। কৃষিজীৱী সমাজৰ হাঁহি-কান্দোনৰ ৰং-ৰূপ এই উপন্যাসত চিত্রিত হৈছে। স্বাধীনোত্তৰ কালৰ আন এক সার্থক উপন্যাস হ'ল প্রফুল্ল দত্ত গোস্বামীৰ 'কেঁচা পাতৰ কঁপনি'। মহম্মদ পীয়াৰ উপন্যাসকেইখনেও পঢ়ুৱৈ সমাজত খলকনিৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। স্বাধীনোত্তৰ কালছোৱাত উপন্যাসক জনপ্রিয় সাহিত্যৰ শাৰীলৈ নিয়াৰ ক্ষেত্রত চলোৱা প্রচেষ্টা আজিও অব্যাহত আছে। এই কালছোৱাক আমাৰ উপন্যাস সাহিত্যৰ স্বর্ণযুগ বুলি ক'ব পাৰি। শেহতীয়াকৈক কেইবাগৰাকীও উদীয়মান লেখক-লেখিকাৰ কলমত সার্থক উপন্যাস সৃষ্টিৰ স্বাক্ষৰ প্রকট হৈ উঠিছে। এসময়ত অসমীয়া সমাজ ঘটনাবহুল নহয় বুলি সঘনাই অভিযোগ উত্থাপিত হৈ উঠা নাছিল বুলি আক্ষেপ কৰা হৈছিল। সংঘর্ষ বিদীর্ণ আজিৰ অসমীয়া সমাজ জীৱনৰ চিত্রণত তেনে অভিযোগৰ উল্লেখ নাথাকিব বুলিয়েই আমাৰ বিশ্বাস। সেয়েহে ডষ্টয়েভস্কীৰ *ক্রাইম এণ্ড পানিচমেণ্টত* ৰূপায়িত হোৱাৰ লেখীয়াকৈ জটিল মানসিক সংঘাতৰ চিত্রণ অসমীয়া উপন্যাসত পোৱাৰ সুযোগ নোপোৱাৰ কাৰণ নাই। তদুপৰি বিভিন্ন জনগোষ্ঠীৰ জীৱন-যাত্রাৰ ওপৰত সার্থক উপন্যাস ৰচনাৰ সুচল পৰিৱেশ আছে।

শংকৰদেৱৰ চিহ্নযাত্রাৰ পৰা আৰম্ভ কৰি আজিৰ ভ্রাম্যমানৰ নাটলৈকে সুদীর্ঘ পৰিক্রমাত অলেখ বহুৰঙী নাট ৰচিত হৈ আহিছে। আমাৰ সাহিত্যৰ অন্যান্য বিভাগৰ তুলনাত নাট্য সাহিত্যত পৰীক্ষা-নিৰীক্ষা অতি দ্রুতগতিত হোৱা দেখা গৈছে। এনেবোৰ পৰীক্ষা-নিৰীক্ষাৰ ফলস্বৰূপে ভালেকেইখন সফল নাটকৰ অভিনয় অসমৰ নাট্যমোদীয়ে উপভোগ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে এবছার্ড নাটকৰ ধাৰণাটোক অসমৰ দর্শকে বিশেষভাৱে আদৰি লৈছে বুলি ক'ব নোৱাৰি। আমাৰ দর্শকে এতিয়াও পৰম্পৰাগত নাট্যশৈলীকে উপভোগ কৰিবলৈ বিচাৰে যদিও ব্যতিক্রমো নোহোৱা নহয়। সি যিয়ে নহওক কিছুসংখ্যক অপেছাদাৰী নাট্যশিল্পীয়ে নতুন নতুন আংগিকৰ নাটৰ অভিনয় আগবঢ়াই নাট্যমোদীক নতুন ৰসৰ সোৱাদ দিবলৈ সক্ষম হৈছে। স্বাধীনোত্তৰ কালৰ অসমৰ সাংস্কৃতিক জগতৰ সর্বোৎকৃষ্ট ফচল হ'ল ভ্রাম্যমান থিয়েটাৰ। অসমৰ ভ্রাম্যমান থিয়েটাৰে বিশ্বৰ যিকোনো দেশৰেই লোকক আকর্ষিত কৰিব পৰাটো কম কথা নহয়। ভ্রাম্যমানক জনপ্রিয় কৰাত অচ্যুৎ লহকৰ, ৰতন লহকৰ, কৃষ্ণ ৰয়, ভবেন্দ্রনাথ শইকীয়া, ভবেন বৰুৱা প্রভৃতিয়ে বাটকটীয়াৰ ভূমিকা লৈছিল। তাৰ লগে লগে চাহিদাৰ প্রতি লক্ষ্য ৰাখি বেছি সংখ্যক মনোৰঞ্জনৰ নাটকৰ লগতে একাধিক মননশীল গভীৰ নাট্য ৰচিত হৈছে।

বিগত পাঁচ/ছয় দশকত অসমীয়া সাহিত্যৰ বিকাশ অভূতপূর্ব হৈছে যদিও আমাৰ সাহিত্যক বিশ্বৰ প্রথমশাৰীৰ সাহিত্য মঞ্চলৈ নিয়াৰ বাবে অবিৰতভাৱে অনুশীলনী চলাই যাব লাগিব। এই ক্ষেত্রত পঢ়ুৱৈ সমাজ আৰু আমাৰ প্রকাশকসকলৰ গুৰুত্ব অপৰিসীম। পঢ়ুৱৈ সমাজে ভাল সৃষ্টিক আদৰণি জনাব লাগিব আৰু প্রকাশকসকলেও উচ্চ মানদণ্ডৰ গ্রন্থ প্রকাশৰ প্রতি যথোচিত আগ্রহ প্রদর্শন কৰিব লাগিব। নিষ্ঠাবান প্রকাশকক সমাজে স্বীকৃতি দানৰ ব্যৱস্থাও কৰিব লাগে। আমাৰ উদীয়মান লেখকে-লেখিকাসকলে যাতে সাহিত্যৰ মঞ্চত যোগ্যস্থান কৰিব লাগে। আমাৰ উদীয়মান লেখল-লেখিকাসকলে যাতে সাহিত্যৰ মঞ্চত যোগ্যস্থান পাব পাৰে সেই বিষয়ে অসম সাহিত্য সভাই সততে সজাগ দৃষ্টি ৰাখিব, কাৰণ এদিন এওঁলোকেই হ'ব লাগিব এই মঞ্চৰ ধ্বজাধাৰী। গতিকে উন্নত মানৰ সাহিত্য সৃষ্টিৰ হেতুকে তেওঁলোকৰ বাবে এক অনুকূল পৰিৱেশ গঢি তুলিব লাগিব। আমি সম্পূর্ণভাৱে আশাবাদী যে অসমীয়া সাহিত্যত এদিন বিশ্বসাহিত্যৰ কণ্ঠস্বৰ ধ্বনিত হ'ব। অৱশ্যে এইটোও মনত ৰাখিব লাগিব যে ভাষা-সাহিত্য, উদ্যোগ-বাণিজ্য— কোনো ক্ষেত্রৰে বিকাশ কৃত্রিমতাৰে সম্ভৱ নহয় আৰু বাহুবলেৰে ততাতৈয়াকৈ সম্ভৱ কৰি তুলিবলৈ বিচাৰিলেও মূৰকত অশুভ প্রতিক্রিয়া হোৱাহে দেখিবলৈ পোৱা যায়। কৃচ্ছ সাধনা আৰু বিৰামহীন অনুশীলনৰ জৰিয়তেহে লক্ষ্যত উপনীত হোৱাটো সম্ভৱ আৰু তেনে সাফল্য হয় স্থায়ী আৰু যুগমীয়া। সেই পথেৰেই আগবাঢ়ি যাব লাগিব।

এতিয়া আত্মসমালোচনামূলক দুই-এটা কথাৰ অৱতাৰণা কৰিব খুজিছো। অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানক সৃষ্টিশীল কার্যসূচী ৰূপায়ণৰ উদ্দেশ্যে চৰকাৰৰ ফালৰ পৰা প্রয়োজনীয় পুঁজিৰ যোগান ধৰাটো অৱশ্যে কর্তব্য যদিও এই ক্ষেত্রত অবিৰতভাৱে হেমাহি দেখুৱাই অহা বুলি জানিব পৰা গৈছে। আনকি ঘোষিত ধনখিনি পাবলৈও সভাৰ বিষয়ৱৰীয়াই দিছপুৱলৈ বাটকুৰি বাই থাকিব লগা হোৱাটো নিতান্তই মর্যাদাহানিকৰ। ইয়াৰ বিকল্প ব্যৱস্থাৰ বিষয়ে চিন্তা-চর্চা কৰিবলৈ অসমবাসীৰ ওচৰত আবেদন জনালো। অসম সাহিত্য সভাৰ নিয়ন্ত্রক বাইজহে, কোনো স্বার্থজড়িত মহল নহয়। এই প্রসংগৰ অৱতাৰণা

কৰিয়ে আমি ৰাজ্যখনৰ সমূহ সাহিত্যিক, সাহিত্যানুৰাগী আৰু সাংবাদিক বন্ধুসকললৈ আহ্বান জনাওঁ যাতে এচাম নিকৃষ্ট ৰাজনীতিকৰ ক্ৰীড়নক হোৱাৰ সলনি তেওঁলোকে আত্মমৰ্যাদাসম্পন্ন জীৱন-যাপনৰ বাবে সংকল্পবদ্ধ হয়। সেই চাম ৰাজনীতিকক সোঁৱৰাই দিয়া উচিত যে তেওঁলোকক নিৰ্দিষ্ট সময়ৰ বাবে ক্ষমতা অৰ্পণ কৰা হৈছে ৰাইজক সেৱা কৰাৰ বাবেহে-- নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰিবলৈ নহয়। সাহিত্যিক, সাংবাদিকসকলে প্ৰতিপন্ন কৰাৰ সময় আহিছে যে সমাজৰ নিয়ন্ত্ৰক তেওঁলোকহে,— এচাম দগাবাজ নহয়। ইয়াৰ বাবে সাহিত্যিক-সাংবাদিকৰ ঐক্যবদ্ধ সংগ্ৰামৰ প্ৰয়োজন আহি পৰিছে।

ৰাইজৰ সমৰ্থন থকালৈকে সাহিত্য সভাৰ বাবে ধনৰ অভাৱ নহয়; কিন্তু ইয়াৰ বিপৰীতে ধনৰ ব্যৱহাৰৰ ক্ষেত্ৰত যাতে এপইচাৰো খেলিমেলি হ'ব নোৱাৰে, তাৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। দগাবাজ ৰাজনীতিক লখিমপুৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ হৰ্তাকৰ্তা হোৱা হেতুকে আজিলৈকে সঠিক হিচাপ-পত্ৰ পোৱা নগ'ল। গাঁতকৈ ধনৰ সদ্ব্যৱহাৰ আৰু হিচাপৰ ক্ষেত্ৰত সাহিত্য সভাৰ কৰ্মকৰ্তাসকল অতি সাৱধান হোৱাটো বাঞ্ছনীয়। অভ্যৰ্থনা সমিতিসমূহেও অতি কম দিনৰ ভিতৰতেই অধিবেশনৰ হিচাপ দাখিল কৰিব লাগে, যাতে হিচাপৰ খেলিমেলিয়ে অসম সাহিত্য সভাৰ ভাবমূৰ্তিত আঘাত নকৰে। আমাৰ দৃঢ়বিশ্বাস যে ৰাইজে ধনৰ যোগান ধৰাত আপত্তি নকৰে, যদিহে সেই ধনৰ পূৰ্ণমাত্ৰাই সদ্ব্যৱহাৰ হয়।

শেষত বিষ্ণুপ্ৰসাদ ৰাভাৰ বক্তব্যৰে সামৰণি মাৰো— 'আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত, অসমক মৰিবলৈ নিদিওঁ; অসমীয়াক জীন যাবলৈ নিদিওঁ; অসমীয়া সংস্কৃতি লুপ্ত হ'বলৈ নিদিওঁ, অসমৰ বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ ডোলেৰে গুঠি দুনাই শক্তিশালী নতুন অসমীয়া জাতি গঢ়ো, শক্তিমান ন অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন-অসমীয়া সংস্কৃতি ৰচো, সোণৰ অসম গঢ়ি আশাৰ ৰংঘৰ, আকাংক্ষাৰ কাৰেংঘৰ, কামনা-বাসনাৰ তলাতল ঘৰ সাজো।'

জই আই অসম, জয় আই ধৰিত্ৰী।

জয়ন্ত অসম সাহিত্য সভা

১৮-০২-২০০৫

-- + -

অসম সাহিত্য সভাৰ সভাপতি আৰু প্ৰধান সম্পাদকসকল

অধিবেশন	স্থান	বছৰ	সভাপতি	প্ৰধান সম্পাদক
১	শিৱসাগৰ	১৯১৭	পদ্মনাথ গোহাঞিবৰুৱা	শৰৎ চন্দ্ৰ গোস্বামী
২	গোৱালপাৰা	১৯১৮	চন্দ্ৰধৰ বৰুৱা	পদ্মনাথ গোহাঞিবৰুৱা
৩	বৰপেটা	১৯১৯	কালিৰাম মেধি	সত্যনাথ বৰা
৪	তেজপুৰ	১৯২০	হেমচন্দ্ৰ গোস্বামী	শৰৎ চন্দ্ৰ গোস্বামী
৫	যোৰহাট	১৯২৩	অমৃতভূষণ দেৱঅধিকাৰী	শৰৎ চন্দ্ৰ গোস্বামী
৬	ডিব্ৰুগড়	১৯২৪	কমলাকান্ত বৰুৱা	শৰৎ চন্দ্ৰ গোস্বামী
৭	গুৱাহাটী	১৯২৪	লক্ষ্মীনাথ বেজবৰুৱা	শৰৎ চন্দ্ৰ গোস্বামী
৮	নগাঁও	১৯২৫	ৰজনীকান্ত বৰদলৈ	শৰৎ চন্দ্ৰ গোস্বামী
৯	ধুবুৰী	১৯২৬	হেমচন্দ্ৰ বাজখোৱা	শৰৎ চন্দ্ৰ গোস্বামী
—	—	১৯২৭	—	পূৰ্ণানন্দ শৰ্মা পাঠক
১০	গোৱালপাৰা	১৯২৭	তৰুণৰাম ফুকন	পূৰ্ণানন্দ শৰ্মা পাঠক
১১	যোৰহাট	১৯২৯	কমলাকান্ত ভট্টাচাৰ্য	পূৰ্ণানন্দ শৰ্মা পাঠক
১২	গোলাঘাট	১৯৩০	মফিজুদ্দিন আহমদ হাজৰিকা	কমলাকান্ত বৰুৱা
—	—	১৯৩১	—	দেৱেশ্বৰ চলিহা
১৩	শিৱসাগৰ	১৯৩১	নগেন্দ্ৰনাৰায়ণ চৌধুৰী	দেৱেশ্বৰ চলিহা
১৪	উত্তৰ লখিমপুৰ	১৯৩৩	জ্ঞানদাভিৰাম বৰুৱা	দেৱেশ্বৰ চলিহা
১৫	মঙ্গলদৈ	১৯৩৪	আনন্দচন্দ্ৰ আগৰৱালা	চন্দ্ৰধৰ বৰুৱা
১৬	তেজপুৰ	১৯৩৬	যদুনাথ চৌধাৰী	দেৱানন্দ শৰ্মা
১৭	গুৱাহাটী	১৯৩৭	কৃষ্ণকান্ত সন্দিকৈ	ৰামেশ্বৰ বৰুৱা
১৮	যোৰহাট	১৯৪০	মহিদুল ইছলাম বৰা	পূৰ্ণানন্দ শৰ্মা পাঠক
—	—	১৯৪২	—	ৰামেশ্বৰ বৰুৱা
১৯	শিৱসাগৰ	১৯৪৪	নীলমণি ফুকন	ভিষ্ণেশ্বৰ নেওগ
২০	ডিব্ৰুগড়	১৯৪৭	নীলমণি ফুকন	মৃত্যুঞ্জয় বৰুৱা
২১	মাৰেৰিটা	১৯৫০	অম্বিকাগিৰি ৰায়চৌধুৰী	হেমনাৰায়ণ দত্ত
২২	শিলং	১৯৫৩	ড° সূৰ্য্যকুমাৰ ভূঞা	অতুল চন্দ্ৰ হাজৰিকা
২৩	যোৰহাট	১৯৫৪ ৫৫	নলিনীবালা দেবী	অতুল চন্দ্ৰ হাজৰিকা
২৪	গুৱাহাটী	১৯৫৫	যতীন্দ্ৰনাথ দুৱৰা	অতুল চন্দ্ৰ হাজৰিকা
২৫	ধুবুৰী	১৯৫৬	হেমচন্দ্ৰ শৰ্মা	পদ্মাধৰ চলিহা
২৬	তিনিচুকীয়া	১৯৫৮	পদ্মধৰ চলিহা	বিনন্দ চন্দ্ৰ বৰুৱা
২৭	নগাঁও	১৯৫৯	অতুল চন্দ্ৰ হাজৰিকা	যতীন্দ্ৰনাথ গোস্বামী
২৮	মিৰ্জা	১৯৬০	ত্ৰৈলোক্যনাথ গোস্বামী	মহেশ্বৰ নেওগ
২৯	গোৱালপাৰা	১৯৬১	ত্ৰৈলোক্যনাথ গোস্বামী	মহেশ্বৰ নেওগ

৩০	নাজিৰা	১৯৬৩	বত্নকান্ত বৰকাকতী	মহেশ্বৰ নেওগ
৩১	ডিগবৈ	১৯৬৪	মিত্রদেৱ মহন্ত	মহেশ্বৰ নেওগ
৩২	নলবাৰী	১৯৬৫	ডিম্বেশ্বৰ নেওগ	হৰিপ্রসাদ নেওগ
৩৩	উত্তৰ লখিমপুৰ	১৯৬৬	বিনন্দ চন্দ্র বৰুৱা	হৰিপ্রসাদ নেওগ
৩৪	ডিব্রুগড়	১৯৬৬-৬৭	নকুল চন্দ্র ভূঞা	হৰিপ্রসাদ নেওগ
৩৫	তেজপুৰ	১৯৬৮	জ্ঞাননাথ বৰা	হৰিপ্রসাদ নেওগ
৩৬	বৰপেটা	১৯৬৯	আনন্দ চন্দ্র বৰুৱা	চৈয়দ আব্দুল মালিক
৩৭	ধিং	১৯৭০	উপেন্দ্র চন্দ্র লেখাৰু	যতীন্দ্রনাথ গোস্বামী
৩৮	মাকুম	১৯৭১	তীর্থনাথ শর্মা	যতীন্দ্রনাথ গোস্বামী
৩৯	তেজপুৰ	১৯৭২	হেম বৰুৱা	যতীন্দ্রনাথ গোস্বামী
৪০	বঙিয়া	১৯৭৩	গিৰিধৰ শর্মা	নগেন শইকীয়া
৪১	মঙলদৈ	১৯৭৪	ড° মহেশ্বৰ নেওগ	নগেন শইকীয়া
৪২	তিতাবৰ	১৯৭৫	ড° সত্যেন্দ্রনাথ শর্মা	নগেন শইকীয়া
৪৩	টিহু	১৯৭৬	যজ্ঞেশ্বৰ শর্মা	ড° হেমন্ত কুমাৰ শর্মা
৪৪	অভয়াপুৰী	১৯৭৭	চৈয়দ আব্দুল মালিক	আব্দুছ ছাত্তাৰ
৪৫	গোলাঘাট	১৯৭৮	প্রসন্নলাল চৌধুৰী	লীলা গগৈ
৪৬	শুৱালকুছি	১৯৭৯	অতুল চন্দ্র বৰুৱা	লীলা গগৈ
৪৭	বহা	১৯৮০	যতীন্দ্রনাথ গোস্বামী	নগেন শইকীয়া
৪৮	তিনিচুকীয়া	১৯৮১	সীতানাথ ব্রহ্মচৌধুৰী	দুর্গেশ্বৰ শর্মা
৪৯	ডিফু	১৯৮২	সীতানাথ ব্রহ্মচৌধুৰী	নগেন শইকীয়া
৫০	বঙাইগাঁও	১৯৮৩	ড° বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য	নগেন শইকীয়া
৫১	বিহপুৰীয়া	১৯৮৫	যোগেশ দাস	প্রফুল্ল চন্দ্র ভট্টাচার্য
৫২	কামপুৰ	১৯৮৬	বীৰেন বৰকটকী	অমল বাজখোৱা
৫৩	পাঠশালা	১৯৮৭	মহেন্দ্র বৰা	অমল বাজখোৱা
৫৪	হাইলাকান্দি	১৯৮৮	কীর্তিনাথ হাজৰিকা	অমল বাজখোৱা
৫৫	ডুমডুমা	১৯৮৯	মহিম বৰা	সতীশ চন্দ্র চৌধুৰী
৫৬	বিশ্বনাথ চাৰিআলি	১৯৯০	নৱকান্ত বৰুৱা	সতীশ চন্দ্র চৌধুৰী
৫৭	দুধনৈ	১৯৯১	ড° নির্মলপ্রভা বৰদলৈ	নাহেন্দ্র পাদুন
৫৮	গোৰেশ্বৰ	১৯৯২	লক্ষ্যধৰ চৌধুৰী	ড° ৰামচৰণ ঠাকুৰীয়া
৫৯	শিৱসাগৰ	১৯৯৩	ড° ভূপেন হাজৰিকা	ৰামচৰণ ঠাকুৰীয়া
৬০	মৰিগাঁও	১৯৯৪	ড° লীলা গগৈ	সতীশ চন্দ্র চৌধুৰী
৬১	সৰ্থেবাৰী	১৯৯৫	হিতেশ ডেকা	সতীশ চন্দ্র চৌধুৰী
৬২	বোকাখাট	১৯৯৬	লক্ষীনন্দন বৰা	সতীশ চন্দ্র চৌধুৰী
৬৩	বিলাসীপাৰা	১৯৯৭	ড° নগেন শইকীয়া	শৈলেন দাস
৬৪	হাওৰাঘাট	১৯৯৮	ড° নগেন শইকীয়া	শৈলেন দাস
৬৫	হাজো	১৯৯৯	চন্দ্রপ্রসাদ শইকীয়া	ড°বসন্ত কুমাৰ গোস্বামী
৬৬	ডিব্রুগড়	২০০১	হোমেন বৰগোহাঞি	বসন্ত কুমাৰ গোস্বামী
৬৭	উঃ লখিমপুৰ	২০০৩	ড° বীৰেন্দ্রনাথ দত্ত	ড° জগদীশ পাটগিৰী
৬৮	ছিপাঝাৰ	২০০৫	কনকসেন ডেকা	ড° জগদীশ পাটগিৰী

বিশেষ বার্ষিক অধিবেশন

১	যোৰহাট	২০০০	চন্দ্রপ্রসাদ শইকীয়া	ড°বসন্ত কুমাৰ গোস্বামী
২	কলগাছিয়া	২০০২	হোমেন ববগোহাঞি	ড°বসন্তকুমাৰ গোস্বামী
৩	হোজাই	২০০৪	ড° বীৰেন্দ্রনাথ দত্ত	ড° জগদীশ পাটগিৰী
৪	বেলশৰ	২০০৬	কনকসেন ডেকা	ড° জগদীশ পাটগিৰী

অসম সাহিত্য সভাৰ ২০০৩-২০০৫ কার্যকালৰ কার্য-নির্বাহক সমিতিৰ বিষয়ববীয়াসকল

১। **ড° বীৰেন্দ্রনাথ দত্ত**
মাননীয় সভাপতি, অসম সাহিত্য সভা
চন্দ্রবালা বৰুৱা পথ
শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩
দূৰভাষ - ০৩৬১-২৬৬৮৭৭০

২। **শ্রী ইন্দ্রেশ্বৰ গোস্বামী**
উপ সভাপতি, অসম সাহিত্য সভা
আনন্দৰাম বৰুৱা পথ, খুটিকটীয়া
ৱার্ড -১৯, নগাঁও, ৭৮২০০১
দূৰভাষ - ৯৫৩৬৭২-২২০২২৪ (গৃ.)

৩। **ড° জগদীশ পাটগিৰী**
প্রধান সম্পাদক, অসম সাহিত্য সভা
জীৱন কৃষ্ণ পথ, হেণ্ডেৰাবাৰী,
গুৱাহাটী - ৭৮১০০৬,
দূৰভাষ - ০৩৬১/২৫২১৮৩০
(গুৱাহাটী কার্যালয়)
০৩৭৬/২৩২০০৭৬ (যোৰহাট)
- ০৩৬১/২২২৩১৪৬ (গৃ.)

৪। **শ্রীমুকুল হাজৰিকা**
সহকাৰী সম্পাদক, অসম সাহিত্য সভা,
কেন্দ্রীয় কার্যালয় চন্দ্রকান্ত সন্ধিকৈ ভৱন,
যোৰহাট -৭৮৫০০১
দূৰভাষ - ০৩৭৬/২৩২০৩৭৬ (কা)

৫। **শ্রীকমল কলিতা**
সহকাৰী সম্পাদক, অসম সাহিত্য সভা
গুৱাহাটী কার্যালয়, ভগৱতীপ্রসাদ বৰুৱা
ভৱন, গুৱাহাটী - ৭৮১০০১
দূৰভাষ - ২৬০৬৯৯২, ২৬০৬৯৯৩,
২৬৫১৮২২ (গৃ.)

৬। **শ্রীকঙ্কণাকান্ত তঙালী**
সহকাৰী সম্পাদক, অসম সাহিত্য সভা
ডিব্রু আঞ্চলিক কার্যালয়,
ৰাংছিনা ভৱন,
ডিব্রু - ৭৮২৪৬০
দূৰভাষ - ০৩৬৭১/২৭২৩৮৫ (কা)

৭। **শ্রীবমেন নাথ**
সহকাৰী সম্পাদক, অসম সাহিত্য সভা
ধুবুৰী আঞ্চলিক কাৰ্যালয়
অসম সাহিত্য সভা ভৱন
ধুবুৰী - ৭৮৩৩০১
দূৰভাষ-৯৫৩৬৬২/২৩২৫২৮ (কা.)

৮। **শ্রীমহেশ চন্দ্র ভট্টাচার্য**
ধনভঁৰালী, অসম সাহিত্য সভা, তৰাজান,
যোৰহাট - ৭৮৫০০১
দূৰভাষ - ০৩৭৬/২৩২৪৬৮৩

৯। **শ্রীজয়ন্ত বৰুৱা**
আহ্বায়ক, জাতীয় ন্যাস
অসম সাহিত্য সভা, অসমীয়া প্ৰতিদিন
কাৰ্যালয়, মণিৰাম দেৱান পথ
গুৱাহাটী - ৭৮১০০৩
দূৰভাষ - ২৬৬৪৫৯৪, ২৬৬০৪২০

১০। **ডাঃ জহিদুল ইছলাম**
আহৱায়ক, চৰ-চাপৰি উপ-সমিতি, অসম
সাহিত্য সভা, ডাক-কলগাছিয়া
ৰৰপেটা - ৭৮১৩১৯
দূৰভাষ - ০৩৬৬৬/২৮৪৫৫২৫ (গৃ.)

১১। **শ্রীকামাখ্যা প্রসাদ তাম্ভ**
আহ্বায়ক, চাহ বাগিচা উপ-সমিতি, অসম
সাহিত্য সভা, হাটীগড় টি ইষ্টেট
ডাকঘৰ- যোৰহাট ইঞ্জিনিয়াৰিং কলেজ
৭৮৫০০৭, যোৰহাট
দূৰভাষ - ০৩৭৬/২৩৩০১২৩ (গৃ.)

১২। **ডঃ মদন শর্মা**
পত্রিকা সম্পাদক, অসম সাহিত্য সভা
অধ্যাপক ইংৰাজী আৰু বিদেশী ভাষা
বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়, নপাম,
তেজপুৰ-৭৮৪০২৮
দূৰভাষ - ০৩৭২/২৩৬৩৫৮ (গৃ.)
২৬৭০০৭-৮-৯

১৩। **শ্রীদামোদৰ বর্মন**
সচিব, ভাষা-জ্ঞান পৰীক্ষা সংসদ,
অসম সাহিত্য সভা, মুখ্য ডাকঘৰ -
যোৰহাট, মণিৰাম দেৱান পথ
যোৰহাট - ৭৮৫০০১
দূৰভাষ - ০৩৭৬/২৩৪২৩৬৩(গৃ.)
২৩২০০৪৫ (কা.)

১৪। **ডঃ বসন্ত কুমাৰ গোস্বামী**
পদেন সদস্য, সুৰাগপুৰ, চোলাধৰা,
যোৰহাট - ৭৮৫০০১
দূৰভাষ - ০৩৭৬/২৩২২২২০ (গৃ.)

১৫। **শ্রীপবিত্র ডেকা**
কাৰ্যনিৰ্বাহক সদস্য,
শিঙাৰপাৰা পাতিদৰং উচ্চ মাধ্যমিক
বিদ্যালয়, ডাক- কেন্দুৰা, বেজেৰা
জিলা - কামৰূপ

১৬। **শ্রীঅমৃত নাৰায়ণ পাটগিৰী**
কাৰ্যনিৰ্বাহক সদস্য, বাসুগাঁও উঃ মাঃ
বিদ্যালয়, ডাক - বাসুগাঁও,
জিলা- কোকৰাঝাৰ - ৭৮৩৩৭২
দূৰভাষ - ২৮১৪৪৪

১৭। **শ্রীহেমেন হাজৰিকা**
কাৰ্যনিৰ্বাহক সদস্য, কমাৰগাঁও
জিলা - গোলাঘাট
দূৰভাষ - ০৩৭৭৬-২৬৬৭০৩৫

১৮। **শ্রীভবানী প্রসাদ চাংকাকতী**
কাৰ্যনিৰ্বাহক সদস্য
কাকপথাৰ - ৭৮৬১৫২
জিলা - তিনিচুকীয়া
দূৰভাষ - ০৩৭৫৯-২৪৬৬৩৯

১৯। শ্রীচিত্তরঞ্জন ডেকা
কার্যনির্বাহক সদস্য
কুঁৱৰী গাঁও : হাজৰিকা পাৰা
জিলা : দৰং - ৰৱদৌলগুৰি
ছিপাঝাৰ - ৭৮৪১৪৫

২০। গিয়াসুদ্দিন আহমেদ
কার্যনির্বাহক সদস্য,
ধুবুৰী সাহিত্য সভা ভৱন
ধুবুৰী চহৰ - ৭৮৩৩০১
দূৰভাষ - ০৩৬৬২/২৩২৫২৮

২১। শ্রীহোমেশ্বৰ দেৱ শর্মা
কার্যনির্বাহক সদস্য,
জিলা : নগাঁও

২২। শ্রীগোলক পাঠক
কার্যনির্বাহক সদস্য,
সুভদ্রা চৌধুৰী ভৱন, লক্ষ্মীনাথ
বেজবৰুৱা পথ
নলবাৰী - ৭৮১৩৩৫

২৩। শ্রীসতীশ চন্দ্র চৌধুৰী
কার্যনির্বাহক সদস্য,
পাঠশালা - ৭৮১৩২৫
জিলা : ৰৱপেটা
দূৰভাষ - ৯৫৩৬৬/২৬৬৪২৯ (গৃ.)

২৪। শ্রীচন্দ্রমোহন বাজবংশী
কার্যনির্বাহক সদস্য,
উত্তৰ চনপুৰ, বাঁসৰাখি, পসলাপুল
জিলা : ৰৱাক উপত্যকা, কাছাৰ
সূচাংক : ৭৮৮০৯৮

২৫। শ্রীপসেনজিৎ কুমাৰ গোস্বামী
কার্যনির্বাহক সদস্য,
উকীল সহা : ডিব্রুগড়
জিলা : ডিব্রুগড়
দূৰভাষ - ০৩৭৩/২৩২৩৩৩৭ (গৃ.)
২৩২৭১০৮ (চেম্বাৰ)

২৬। বিবিকি কুমাৰ শর্মা
কার্যনির্বাহক সদস্য,
ৰজাগাঁও : ৱার্ড নং - ১
মৰিগাঁও, জিলা : মৰিগাঁও
দূৰভাষ - ৯৫৩৬৭৮/২৪১১৯৭

২৭। শ্রীতিলো সোণোৱাল
কার্যনির্বাহক সদস্য,
মাটিখোলা, ৰৱহোলা, বাইডাংজুৰি
যোৰহাট - ৭৮৫৬৩১
দূৰভাষ - ২৪৭৭২১ (গৃ.)

২৮। শ্রীহেমন্ত কুমাৰ বৰুৱা
কার্যনির্বাহক সদস্য,
সাহিত্য সভা ভৱন, লখিমপুৰ চহৰ
লখিমপুৰ - ৭৮৭০০১
দূৰভাষ - ০৩৭৫২/২৩০৪০১ (গৃ)

২৯। শ্রীওপকান্ত বৰুৱা
কার্যনির্বাহক সদস্য,
পার্বতীনগৰ, তেজপুৰ - ৭৮৪০০১
জিলা : শোণিতপুৰ
দূৰভাষ- ৯৫৩৭১২/২২৩১৮৮ (গৃ)

৩০। শ্রীপ্রেম গগৈ
কার্যনির্বাহক সদস্য,
মুখ্য ন্যায়িক দণ্ডাধীশৰ কার্যালয়, শিৱসাগৰ
চহৰ, শিৱসাগৰ
দূৰভাষ - ২২২১৫৩ (কা)

৩১। শ্রীহেমেন পাঠক
কার্যনির্বাহক সদস্য, অভয়াপুৰী
জিলা : বঙাইগাঁও
দূৰভাষ - ৯৫৩৬৬৪/২৮১৬০৩ (গৃ.)

বিশেষভাবে আমন্ত্রিত সদস্যসকল :

৩২। ডঃ বজলুল আলি
নৱগিৰি- চানমাৰি, গুৱাহাটী - ৩

৩৩। ড° গোবিন্দ প্রসাদ শর্মা
ভগদত্ত পুৰ, কাহিলীপাৰা
গুৱাহাটী- ৭৮১০১৯
দূৰভাষ - ২৫৭১০১৫

৩৪। শ্রীমতী গীতা উপাধ্যায়
তেজপুৰ নিকেতন,
তেজপুৰ, শোণিতপুৰ

৩৫। শ্রীসনন্ত তাঁতী
অসম চাহ বাগিচা ভৱিষ্যনিধি আঁচনি
নিধি ভৱন, লালমাটি
বেলতলা, গুৱাহাটী - ২৮
দূৰভাষ - ২৩০২৫৮১/২৩৩৮০৪২

৩৬। শ্রীটাবু টাইদ
চন্দন নগৰ, বেলতলা
গুৱাহাটী - ৭৮১০২৮

৩৭। শ্রীনৰেন্দ্র নাথ কেওট
ৱার্ড নং - ৪, মৰিগাঁও চহৰ,
জিলা : মৰিগাঁও
সূচাংক - ৭৮২১০৫
দূৰভাষ - ৯৫৩৬৭৮/২৪০১৫২

৩৮। শ্রীপ্রদীপ কুমাৰ নাথ
ৱার্ড নং -৮, ঢেকীয়াজুলি - ৭৮৪১১০
জিলা : শোণিতপুৰ
দূৰভাষ - ৯৫৩৭১২/২৪৪৬৭৮

৩৯। শ্রীদিগন্ত ভাজনী
এচ. কে দেৱনাথ বুক ষ্টল
এ. এচ. টি. চি চৌহদ, ঢোলা বজাৰ,
হৈখোৱাঘাট, তিনিচুকীয়া - ৭৮৬১৫৪
দূৰভাষ - ০৩৭৫৯/২৪২২৪৬

৪০। শ্রীঘনকান্ত কৌৰৰ
মিলন নগৰ, লেন-টি
ডিব্রুগড় - ৭৮৬০০৩
দূৰভাষ - ০৩৭৩/২৩১০৪৬৯

৪১। শ্রীজয়কান্ত গম্ভীয়া
অসম অইল কর্পৰেট কমিউনিকেশ্যন
বিভাগ, ডিগবৈ - ৭৮৬১৭১
দূৰভাষ- ০৩৭৫১/২২৬৫৫৫১ (গৃ.)

৪২। শ্রীউপেন বৰা
উজৰা গাঁও, ওপৰ উজৰা গাঁও
নগাঁও - ৭৮৭০০১

৪৩। শ্রীফণী কলিতা
পিয়লি ফুকন নগৰ, বামুণীমৈদান
গুৱাহাটী - ৭৮১০২১
দূৰভাষ - ০৩৬১/২৫৫৬২৫২ (গৃ.)

৪৪। শ্রীপ্রতাপ চন্দ্র বৰুৱা
অসম কৃষি বিশ্ববিদ্যালয়, গার্হস্থ্য বিজ্ঞান
বিভাগ, যোৰহাট - ৭৮৫০১৩
দূৰভাষ - ০৩৭৬/২৩৪০২৮১

৪৫। শ্রীৰণজিত বর্মন
শর্মা এণ্টাৰপ্রাইজ, উদয়াচল পথ
খ্রীষ্টানবস্তি, দিছপুৰ
গুৱাহাটী - ৭৮১০০৫
দূৰভাষ - ২৩৪০০৮০/২৫১৬২৪২

৪৬। শ্রীৰেৱন চন্দ্র নাথ
অৱসৰপ্রাপ্ত অধ্যক্ষ
ভুক্তাবাৰী, ছিপাঝাৰ
দৰং - ৭৮৪১৪৫
দূৰভাষ - ৯১৪/২৬৫৪৩৭ (গৃ.)

৪৭। শ্রীদেৱপ্রসাদ তালুকদাৰ
বাঘৰবড়ি, পাঞ্জাবাৰী,
গুৱাহাটী - ৭৮১০৩৭
দূৰভাষ - ০৩৬১/২৩৩১৮০৪ (গৃ.)

৪৮। শ্রীবাণীকান্ত নাথ
গাঁও - ৰৰমাণিকপুৰ
ডাক - সৰুমাণিকপুৰ
জিলা : ৰৰপেটা
সূচাংক - ৭৮১৩২৯

৪৯। শ্রীচন্দ্রমোহন অভিকৰণ
জিলা গ্রামোন্নয়ন অভিকৰণ
কোকৰাঝাৰ - ৭৮৩৩৭০
দূৰভাষ - ৯৫৩৬৬১/২২৭১৪০৬

৫০। শ্রীউদয়ন চক্রৱর্তী
আঞ্চলিক কার্যালয়
অসম সাহিত্য সভা
ধুবুৰী - ৭৮৩৩০১
দূৰভাষ- ৯৫৩৬৬২/২৩০১৫৪ (গৃ.)

৫১। শ্রীগোপাল কাকতি
সৌৰভ নগৰ, বেলতলা, গুৱাহাটী
দূৰভাষ - ০৩৬১/২৩০০১৫৩ (গৃ.)

৫২। শ্রীপ্রফুল্ল চন্দ্র ৰৰা
মিলন পথ, দেৰগাঁও - ৭৮৫৬১৪
দূৰভাষ - ০৩৭৬/২৩৮০৪০৬ (গৃ)

৫৩। শ্রীমতী সুপ্রভা মেধি
ৱার্ড নং - ৮, লীলাৱতী ৰৰদলৈ পথ
লখিমপুৰ
দূৰভাষ - ০৩৭৫২/২২২৫৯৬ (গৃ)

৫৪। শ্রীসুহাগমণি ৱর্মন
আসাম হাউচিং বোর্ড কমপ্লেক্স
আৱাস নং ১/৩, ট্রাংকৰোড (কাছাৰ)
সূচাংক - ৭৮৮১৫১
দূৰভাষ - ২৩৬০২৭

৫৫। ড° অমলেন্দু ভট্টাচার্য
গুৱাহচৰণ কলেজ, বাংলা বিভাগ
শিলচৰ : তাৰাপুৰ,
সূচাংক - ৭৮৮০০৩
দূৰভাষ- ৯৫৩৬৬৩/২৮৮০১৫ (গৃ.)
০৩৬৫১/২২৯৮৪ (কা)

-- ✦ --